বিশ্ব-ইতিহাসৰ জিলিঙনি

বিশ্ব-ইতিহাসৰ জিলিঙনি

(দ্বিতীয় খণ্ড)

জৱাহৰলাল নেহৰু

অনুবাদ ঃ

সদানন্দ চলিহা
শশীকান্ত শৰ্মা
লক্ষ্মীপ্ৰসাদ দত্ত

STATE CENTRAL LIBRARY
Call No
ASSAM

অসম প্ৰকাশন পৰিষদ

প্ৰকাশক
চন্দ্ৰপ্ৰসাদ শইকীয়া
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী-৭৮১০২১

প্ৰথম সংস্কৰণ
মে, ১৯৬৫
দ্বিতীয় সংস্কৰণ
জুন, ১৯৭৯

মূল্য ঃ ২০.০০ টকা

মুদ্ৰণ ঃ শ্ৰীগুৰু প্ৰেছ,
মালিগাওঁ
গুৱাহাটী-৭৮১০১১

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহাদেৱৰ অভিনন্দন বাণী

মুখ্যমন্ত্ৰী সচিবালয়
শ্বিলং

অসম প্ৰকাশন পৰিষদে বিশ্ববৰেণ্য স্বৰ্গীয় নেতা জৱাহৰলাল নেহৰুৰ পুথিসমূহ অসমীয়ালৈ অনুবাদ আৰু প্ৰকাশ কৰি সস্তীয়া দৰত ৰাইজৰ হাতত দিবলৈ সিদ্ধান্ত কৰা বুলি জানি আনন্দ পাইছোঁ। মোৰ সম্পূৰ্ণ বিশ্বাস যে তাৰদ্বাৰা অসমীয়া সাহিত্য চহকী হোৱাৰ উপৰিও আমাৰ সমাজৰ ভালেখিনি উপকাৰ হ'ব। তেখেতৰ "বিশ্ব ইতিহাসৰ জিলিঙনি" (Glimpses of World History) গ্ৰন্থখনিয়ে সমগ্ৰ বিশ্বতে আদৰ পাইছে। প্ৰকাশন পৰিষদে নেহৰু-সাহিত্যৰ এইখনি পুথি অসমীয়া ভাষালৈ অনুবাদ কৰি ৰাইজৰ হাতত দিবলৈ লোৱা সিদ্ধান্তৰ প্ৰতি অভিনন্দন জনাইছোঁ। অসমীয়া পঢ়ুৱৈ সমাজে এই পুথিখনৰপৰা সেই বিশ্ববৰেণ্য নেতাজনৰ বিশাল কৰ্ম্মক্ষেত্ৰ, উদাৰ চিন্তাধাৰা আৰু মহৎ আদৰ্শৰ নিশ্চয় আভাস পাব আৰু অনুপ্ৰাণিত হ'ব। ইতি—

২০ মে', ১৯৬৫ | শ্ৰীবিমলা প্ৰসাদ চলিহা

প্ৰকাশন পৰিষদৰ সভাপতিদেৱৰ একেষাৰ

অসম প্ৰকাশন পৰিষদে দেশনেতা পণ্ডিত জৱাহৰলাল নেহৰুদেৱৰ প্ৰধান গ্ৰন্থসমূহৰ অসমীয়া অনুবাদ কম মূলীয়াকৈ প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু সেই সিদ্ধান্ত অনুযায়ী প্ৰথম কিতাপ "আত্মজীৱন চৰিত" তেখেতৰ জন্ম-বাৰ্ষিকী, ১৪ নবেম্বৰৰ দিনা প্ৰকাশ কৰিছে। ইয়াৰ পিচতে তেখেতৰ "ভাৰত-সন্ধেদ" (Discovery of India) গ্ৰন্থখনিও পৰিষদে প্ৰকাশ কৰিছে। সম্প্ৰতি তেখেতৰ অমূল্য গ্ৰন্থ "বিশ্ব ইতিহাসৰ জিলিঙনি" (Glimpses of World History) গ্ৰন্থখনো দুটা খণ্ডত প্ৰকাশ কৰা হৈছে আৰু আগৰ কিতাপ দুখনৰ দৰেই সৰ্বসাধাৰণে কিনিব পৰাকৈ এইখন পুথিৰ বেচো কম কৰা হৈছে। আশাকৰোঁ আমাৰ শিক্ষিত সমাজ আৰু ছাত্ৰসকল ইয়াৰদ্বাৰা উপকৃত হ'ব।

শ্ৰীদেৱকান্ত বৰুৱা
শিক্ষামন্ত্ৰী, অসম
আৰু
সভাপতি, প্ৰকাশন পৰিষদ

ছিলং
২৩-৫-৬৫

প্ৰথম সংস্কৰণৰ ভূমিকা

পণ্ডিত নেহৰুৰ বিশ্বজোৰাখ্যাতি কেৱল ৰাজনীতিত সীমাবদ্ধ নহয়——এজন চিন্তানায়ক আৰু সুলেখক হিচাপেও নেহৰু বিশ্ববিশ্ৰুত। নেহৰুজীৰ লেখনী-নিঃসৃত ভাৱধাৰা অসমীয়া ভাষাত প্ৰকাশ কৰি সুলভ মূল্যত যোগান ধৰিবলৈ প্ৰকাশন পৰিষদে সিদ্ধান্ত কৰিছে। উক্ত সিদ্ধান্ত অনুসাৰে তেখেতৰ 'আত্মজীৱন চৰিত'খন যোৱা চৈধ্য নৱেম্বৰৰ দিনা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হৈছে। অলপতে 'ভাৰত-সন্ধান' (Discovery of India) গ্ৰন্থখনি প্ৰকাশ কৰা হৈছে। সম্প্ৰতি এই আঁচনি অনুসাৰে তৃতীয় গ্ৰন্থ 'বিশ্ব-ইতিহাসৰ জিলিঙনি' (Glimpses of World History) দুই খণ্ডত প্ৰকাশ কৰা হৈছে। ইয়াৰ পিছত একেখণ্ডত প্ৰকাশ কৰাৰ ইচ্ছাও আছে।

সুখৰ বিষয় জৱাহৰলাল নেহৰুৰ গ্ৰন্থৰ অসমীয়া অনুবাদে ৰাইজৰ-পৰা যথেষ্ট সমাদৰ লাভ কৰিছে। 'আত্ম-জীৱন চৰিত'খন প্ৰকাশৰ চাৰি মাহৰ ভিতৰতে পাঁচ হেজাৰখন বিক্ৰী হোৱাটো অসমীয়া সাহিত্যত উল্লেখযোগ্য কথা। গ্ৰন্থখনিৰ দ্বিতীয় মুদ্ৰণৰ বিষয়ে ব্যৱস্থা কৰা হৈছে। আশা কৰোঁ 'বিশ্ব-ইতিহাসৰ জিলিঙনি'য়েও আশানুৰূপ সমাদৰ পাব।

পুথিখন নিচেই কম সময়ৰ ভিতৰত ছপাই উলিওৱা হৈছে। এনে এখন বৃহৎ কলেৱৰৰ গ্ৰন্থ খৰখেদাকৈ ছপাই উলিয়াওঁতে ত্ৰুটী-বিচ্যুতিৰ আশঙ্কা আছে। বিদেশী শব্দৰ অসমীয়া উচ্চাৰণানুগ আখৰ-জোটনিত নানাজনৰ নানা মত, সেইবাবে এনেকুৱা একে শব্দৰে দুই প্ৰকাৰ আখৰ জোটনিও ঠায়ে ঠায়ে ওলাব পাৰে।

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহা ডাঙৰীয়াই অনুগ্ৰহ কৰি নেহৰু-সাহিত্যৰ অসমীয়া সংস্কৰণৰ প্ৰতি এষাৰি অভিনন্দন বাণীৰে ওলগ জনাইছে। মুখ্যমন্ত্ৰী মহোদয়ৰ বাণীয়ে পৰিষদক উৎসাহিত কৰিছে। পৰিষদৰ সভাপতি অসমৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাদেৱৰ একান্ত ইচ্ছাৰ বাবেই ইমান সোনকালে গ্ৰন্থকেইখন প্ৰকাশ হৈছে।

গুৱাহাটী ট্ৰিবিউন প্ৰেছৰ কৰ্তৃপক্ষৰ সহানুভূতিপূৰ্ণ সহযোগে প্ৰকাশ কাৰ্য সম্ভৱ কৰিছে। তেওঁলোকৰ শলাগ লওঁ।

বিশ্বনাৰায়ণ শাস্ত্ৰী

গুৱাহাটী
২৬ মে, ১৯৬৫

দ্বিতীয় সংস্কৰণৰ ভূমিকা

এগৰাকী বিশ্ববৰেণ্য ৰাষ্ট্ৰনেতাৰ পুৰঠ ৰাজনৈতিক দৃষ্টিভংগী আৰু ইতিহাস-চেতনাৰ গভীৰতা, এগৰাকী চিন্তাশীল সাহিত্যিকৰ স্বাভাৱিক ৰচনা প্ৰতিভা আৰু এজন মৰমিয়াল পিতৃৰ স্বতঃস্ফূৰ্ত ভাবাবেগৰ সংমিশ্ৰণ—নেহৰুৰ এই বিশ্ব ইতিহাস পৰিক্ৰমা ঃ 'বিশ্ব-ইতিহাসৰ জিলিঙনি'। ভাৰতৰ এই খ্যাতিমান নেতা গৰাকীৰ অন্যান্য গ্ৰন্থৰ লগতে এইখন গ্ৰন্থৰ অসমীয়া অনুবাদেও সৰ্বসাধাৰণ পাঠকৰপৰা প্ৰত্যাশাতীত সমাদৰ লাভ কৰিছে। গ্ৰন্থখনৰ প্ৰথম সংস্কৰণত ছপা হোৱা সকলোবোৰ কপি শেষ হৈ যোৱাত, এই পৰিষদে গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণ এটি প্ৰকাশ কৰিলে। প্ৰথম সংস্কৰণত ৰৈ যোৱা দুই-চাৰিটা ভুলৰ শুধৰণীৰ বাহিৰে দ্বিতীয় সংস্কৰণত একো পৰিবৰ্তন কৰা হোৱা নাই।

আমাৰ একান্ত বিশ্বাস, প্ৰথম সংস্কৰণৰ দৰেই বিশ্ব-ইতিহাসৰ জিলিঙনিৰ দ্বিতীয় সংস্কৰণেও পাঠকসকলৰপৰা আশানুৰূপ সমাদৰ লাভ কৰিব।

গুৱাহাটী
জুন, ১৯৭৯

চন্দ্ৰপ্ৰসাদ শইকীয়া

বিশ্ব-ইতিহাসৰ জিলিঙনি

মূল গ্ৰন্থৰ পাতনি

ক'ত আৰু কেতিয়া এই চিঠিবোৰ প্ৰকাশ হ'ব, নাইবা প্ৰকাশ হয় নে নহয়, মই ক'ব নোৱাৰোঁ; কাৰণ ভাৰত আজি এখন আশ্চৰ্যজনক দেশ আৰু ভৱিষ্যতবাণী কৰাটোও টান। কিন্তু মোক ঘটনাচক্ৰই বেৰি ধৰাৰ আগতে এইবোৰ লেখিবলৈ এটা সুযোগ পোৱাৰ বাবে লেখি গলোঁ মাথোন।

বুৰঞ্জীমূলক ক্ৰম ৰক্ষা কৰি এই চিঠিবোৰ লেখাৰ বাবে মই অলপ ক্ষমা ভিক্ষা আৰু ব্যাখ্যা কৰিবলগীয়া হৈছে। যিসকল পাঠকে মোৰ এই চিঠিবোৰ পঢ়ি শেষ কৰাৰ কষ্ট স্বীকাৰ কৰিব, তেওঁবিলাকে নিজেই এই ক্ষমা-ভিক্ষা আৰু ব্যাখ্যাৰ তাৎপৰ্য বুজিব পাৰিব। বিশেষকৈ পাঠক-সকলৈ মই ইয়াৰ শেষ চিঠিখনৰ বিষয়ে উল্লেখ কৰিব খোজো আৰু সম্ভৱতঃ এই উদ্ভট জগতখনত শেষৰ পৰাইহে আৰম্ভ কৰাটো ভাল হ'ব।

চিঠিবোৰৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিলে। অৱশ্যে এই বিষয়ে মোৰ কোনো নিৰ্দিষ্ট পৰিকল্পনা নাছিল আৰু মই কেতিয়াও নেভাবিছিলোঁ যে এইবোৰ আকৃতিত ইমান ডাঙৰ-দীঘল হ'বগৈ। ছবছৰমানৰ আগতে মোৰ ছোৱালীজনীৰ মাথোন দহ বছৰ বয়সত, মই তাইলৈ পৃথিৱীৰ আদিম অৱস্থাৰ চমু আৰু সৰল বিৱৰণ থকা কিছুমান চিঠি-পত্ৰ লেখিছিলোঁ। এই চিঠি-পত্ৰবোৰকে পিছত কিতাপৰ আকাৰেৰে উলিওৱা হ'ল আৰু সেইবোৰ পাঠকসকলে উদাৰভাৱে আদৰিলে। এই চিঠিবোৰ ক্ৰমবৰ্দ্ধমান কৰিবৰ বাবে মোৰ মনত এটা ভাবে চিলনি বনোৱাদি বনাছে, কিন্তু পৰিপূৰ্ণৰূপে ৰাজনৈতিক কৰ্মসঙ্কুল ব্যস্ত জীৱনটোত এই ভাবটোক ৰূপ পৰিগ্ৰহ কৰিবলৈ দিয়াটোত বাধা উপজিল। পিছে কাৰাবাসত মই বিচৰা সুবিধাটো পোৱাত মই তাক আঁকোৱালি ধৰিলোঁ।

বন্দী জীৱনৰ নিজা কিছুমান অনুকূলতা আছে; ই অলপ অচৰপ অনাসক্তি আৰু অৱকাশ দুয়োটাকে লগত লৈ আহে। কিন্তু প্ৰতিকূল পৰিৱেশ দেখা কথা। বন্দীয়ে বিচাৰি পাবলৈ কোনো পুথিভঁৰালৰ চিন-মোকাম নাই আৰু মিলাই চাব পৰা যিকোনো গ্ৰন্থই দুষ্প্ৰাপ্য। এনে অৱস্থাত কোনো বিষয়ে ৰচনা কৰিবলৈ যোৱাটো লোকাই মূৰ্খৰহে কাম হ'ব। কেইখনমান কিতাপ মোক দিয়া হৈছিল, কিন্তু লগত ৰাখি থ'ব পৰাকৈ নহয়। সেই কিতাপবোৰ আহিল আৰু গ'ল। বাৰ বছৰৰ আগেয়ে অৱশ্যে যেতিয়া মই সৰকাৰ সহকৰ্মী সহ-বন্দীসকলৰ লগত

সহযাত্ৰী হৈ কাৰাতীৰ্থৰ বাটৰ বাটকৰা আছিলোঁ, মোৰ এটা অভ্যাস আছিল আৰু সেই অভ্যাসৰ বলতে মই পঢ়িবলৈ পোৱা কিছুমান কথা টুকি থৈছিলোঁ। মোৰ এই টোকা বহীবোৰৰ সংখ্যা বাঢ়ি বাঢ়ি গৈ আছিল আৰু অৱশেষত মোৰ লেখা আৰম্ভ কৰোঁতে এইবোৰেই মোক ৰক্ষা কৰিলে। ইয়াৰ বাহিৰেও যিবিলাক গ্ৰন্থই মোক অপৰিসীম সহায় কৰিছিল, তাৰ ভিতৰত এৰাব নোৱাৰাকৈ আছিল এইচ, জি, ৱেলচৰ 'আউট্‌লাইন অব হিষ্ট্ৰী (Outline of History)। কিন্তু আলোচনা কৰাৰ উপযোগী কিতাপৰ অভাব সঁচাকৈয়ে গুৰুতৰ আছিল আৰু এই বাবেই বৰ্ণনামূলক কথাবোৰ অলপ ধুঁৱলী-কুঁৱলী হৈ থাকিল আৰু কিছুমান সময়ৰ কাহিনী জঁাপ মাৰি এৰাই আহিবলগীয়া হ'ল।

চিঠিবোৰ ব্যক্তিগত হৈ পৰিছে আৰু তাত বহুতো আবেগময় পৰশ লাগি আছে। এইবোৰ মাথোন মোৰ ছোৱালীজনীৰ বাবেহে। এইবোৰৰ বৰ্ণনা মই কি কৰিম ক'ব নোৱাৰোঁ। অমানুষিক পৰিশ্ৰম নকৰিলে সেইবোৰ বাদ দিব নোৱাৰি। সেইবাবে মই আৰু হাত নিদিলোঁ।

স্বাস্থ্যৰ বাবে কৰ্মশক্তি ক্ষীণ হৈ পৰিলে অন্তৰ-বিশ্লেষণ আৰু মনোভাৱ পৰিৱৰ্তনৰ সুযোগ আহে। মোৰ ভয় হৈছে যে এই পৰিৱৰ্তনে মোৰ লেখাবোৰত নিশ্চয় ৰেখাপাত কৰিছে। অৱশ্যে এই চিঠিবোৰ লেখাৰ ৰীতি বুৰঞ্জীবিদৰ অৱলম্বনীয় নৈৰ্ব্যক্তিক নিশ্চয় নহয়।

বুৰঞ্জীবিদ বুলি মই দাবী নকৰোঁ। মোৰ ৰচনাসমূহ প্ৰাথমিক শিক্ষাৰ্থীৰ প্ৰাৰম্ভিক আলোচনা আৰু প্ৰবীণ বিশেষজ্ঞৰ বিশ্লেষণ দুয়োবিধৰে বিষয়—সংমিশ্ৰণ স্বৰূপ হৈছে। হেজাৰ-বিজাৰ পুনৰুক্তি ঘটিছে। সঁচাকৈয়ে, চিঠিবোৰত যিবোৰ দোষ ঘটিছে তাৰ আৰু ওৰ নাই। এডাল মিহি সুতাৰে একেলগে গাঁথি থোৱা এইবোৰ যেন অপটু হাতৰ ছবি। প্ৰাচীন পুথি-পত্ৰ ঘঁাটি-ঘুটি মই ভাব আৰু ঘটনাসমূহ বুটলি লৈছোঁ, তাত ভুলো হয়তো ভালেমান সোমাইছে। সুযোগ্য বুৰঞ্জীবিদ এজনৰ হতুৱাই এইবোৰ সংশোধন কৰাৰ ইচ্ছা আছিল, কিন্তু কাৰামুক্তিৰ চমু দিন কেইটাত এইটো কৰাৰ সময় আৰু নোলাল।

এই চিঠিবোৰ লেখোঁতে মোৰ মতামত প্ৰায়েই এনেকুৱা হৈছে যে সেইবোৰ পঢ়ি পাঠকে আক্ৰমণমূলক যেন পাব পাৰে। এই মতামতবোৰ মই স্বীকাৰ কৰি লৈছোঁ। কিন্তু তথাপি মই এই চিঠিবোৰ লেখি আগবাঢ়ি গৈ থাকোঁতে ইতিহাসৰ প্ৰতি মোৰ দৃষ্টিভঙ্গী ক্ৰমে সলনি হৈ গৈছে। আজি যদি মই এইবোৰ দুনাই লেখিব লাগে, তেনেহলে মই সেইবোৰ নতুনকৈ লেখিবলগীয়া হ'ব নাইবা বেলেগ ধৰণৰ ভঙ্গীৰে প্ৰকাশ কৰিব লাগিব। কিন্তু এবাৰ যিবোৰ কথা লেখি আহিলোঁ, সেইবোৰ মচি আকৌ নতুনকৈ লেখাৰ সামৰ্থ্য মোৰ নাই।

জানুৱাৰী ১, ১৯৩৪ জৱাহৰলাল নেহৰু

সূচীপত্ৰ

১২৪ ইৰাণৰ প্ৰাচীন ঐতিহ্যৰ অবিচ্ছিন্নতা ১

১২৫ পাৰস্যাত সাম্ৰাজ্যবাদ আৰু জাতীয়তাবাদ ৯

১২৬ বিভিন্ন বিপ্লৱ—বিশেষকৈ ১৮৪৮ চনৰ বিপ্লৱৰ কথা ১৬

১২৭ ইটালী ঐক্যবদ্ধ আৰু মুক্ত এটা জাতিত পৰিণত হয় ২৫

১২৮ জাৰ্মানীৰ অভ্যুত্থান ৩১

১২৯ কেইজনমান বিখ্যাত লিখক ৪০

১৩০ ডাৰ্‌উইন আৰু বিজ্ঞানৰ জয়োল্লাস ৪৭

১৩১ গণতন্ত্ৰৰ অগ্ৰগতি ৫৫

১৩২ সমাজবাদৰ আগমন ৬২

১৩৩ কাৰ্লমাৰ্কচ আৰু বনুৱাৰ সংগঠনবিলাকৰ সংবৰ্দ্ধন ৬৯

১৩৪ মাৰ্কচবাদ ৭৭

১৩৫ ইংলেণ্ডত ভিক্‌টোৰিয়াৰ যুগ ৮৫

১৩৬ ইংলেণ্ড পৃথিৱীক ধন ধাৰে দিয়া দেশ হ'ল ৯৩

১৩৭ আমেৰিকাত গৃহযুদ্ধ ১০১

১৩৮ আমেৰিকাৰ অদৃশ্য সাম্ৰাজ্য ১১১

১৩৯ আয়াৰলেণ্ড আৰু ইংলেণ্ডৰ মাজত সাতশ বছৰীয়া সংঘৰ্ষ ১১৮

১৪০ আয়াৰলেণ্ডত স্বায়ত্ত-শাসন আৰু চিনফেইন ১২৭

১৪১ বৃটেনে মিছৰ অধিকাৰ কৰি তাত খোপনি পুতি আছে ১৩৪

১৪২ তুৰস্ক "য়ুৰোপৰ ৰুগীয়া মানুহ" হয় ১৪৪

১৪৩ জাৰসকলৰ ৰুচিয়া ১৫৪

১৪৪ ১৯০৫ চনৰ বিফল ৰুচ বিপ্লৱ ১৬১

১৪৫ অসাধাৰণ যুগ এটাৰ অৱসান ১৬৮

১৪৬ বিশ্বৰ যুদ্ধখনৰ আৰম্ভণি ১৭৫

১৪৭ যুদ্ধখনৰ আগমুহূৰ্তত ভাৰতবৰ্ষ ১৮৬

১৪৮ ১৯১৪-১৮ খৃষ্টাব্দৰ যুদ্ধ ১৯৪

১৪৯ যুদ্ধখনৰ গতি ২০২

১৫০ ৰুচিয়াত জাৰৰ ৰাজত্বৰ অন্ত ২১৩

১৫১ বলছেভিকবিলাকে ক্ষমতা কাঢ়ি লয় ২২২

১৫২ চোভিয়েটৰ জয়লাভ ২৩৩

১৫৩ চীনৰ ওপৰত জাপানৰ অত্যাচাৰ ২৪৬

১৫৪ যুদ্ধৰ সময়ত ভাৰতবৰ্ষ ২৫৪

১৫৫ য়ুৰোপৰ নতুন মানচিত্ৰ ২৬৫
১৫৬ যুদ্ধোত্তৰ জগত ২৭৯
১৫৭ প্ৰজাতন্ত্ৰৰ কাৰণে আয়াৰলেণ্ডৰ সংগ্ৰাম ২৮৮
১৫৮ ভগ্নস্তূপৰপৰা নৱ তুৰস্কৰ আবিৰ্ভাৱ ২৯৭
১৫৯ মুস্তফা কামাল : অতীতক অতিক্ৰম কৰি অভিযান ৩১০
১৬০ ভাৰতত গান্ধীজীৰ নেতৃত্ব ৩২০
১৬১ ভাৰতবৰ্ষ : ১৯২০ চনৰ পিছত ৩৩১
১৬২ ভাৰতত অহিংস বিদ্ৰোহ ৩৪২
১৬৩ মিচৰৰ স্বাধীনতা যুদ্ধ ৩৫৫
১৬৪ বৃটেনৰ অধীনত স্বাধীনতাৰ স্বৰূপ ৩৬৬
১৬৫ বিশ্ব-ৰাজনীতিৰ মঞ্চত পশ্চিম এচিয়াৰ পুনঃপ্ৰৱেশ ৩৭৬
১৬৬ আৰব অঞ্চলৰ দেশ : চিৰিয়া ৩৮৫
১৬৭ পেলেষ্টাইন আৰু ট্ৰান্স-জৰ্ডান ৩৯৪
১৬৮ আৰব দেশ—মধ্যযুগৰপৰা বৰ্তমান যুগলৈ ৪০৩
১৬৯ ইৰাক : বিমানৰপৰা বোমা নিক্ষেপৰ মাহাত্ম্য ৪১১
১৭০ আফগানিস্থান আৰু এচিয়াৰ কেইখনমান দেশ ৪২০
১৭১ যি বিপ্লৱ নঘটিল ৪২৯
১৭২ পুৰণি ধাৰ শোধোৱাৰ নতুন উপায় ৪৩৯
১৭৩ টকাৰ অদ্ভুত আচৰণ ৪৪৮
১৭৪ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া ৪৫৭
১৭৫ ইটালী-মুচলিনী আৰু ফেচিজিম ৪৭০
১৭৬ গণতন্ত্ৰ আৰু একাধিনায়কত্ব ৪৮১
১৭৭ চীনত বিপ্লৱ আৰু প্ৰতিবিপ্লৱ ৪৯০
১৭৮ জাপানৰ উদ্ধতালি ৫০১
১৭৯ সমাজতন্ত্ৰী চোভিয়েট সাধাৰণতন্ত্ৰসমূহৰ যুক্তৰাষ্ট্ৰ ৫১৩
১৮০ পিয়াৰ্টিলেটকা বা ৰুচিয়াৰ পঞ্চবাৰ্ষিকী পৰিকল্পনা ৫২৪
১৮১ চোভিয়েট ইউনিয়নৰ বিপদ-বিঘিনি : সফলতা আৰু বিফলতাৰ কাহিনী ৫৩৩
১৮২ বিজ্ঞানৰ অগ্ৰগতি ৫৪৫
১৮৩ বিজ্ঞানৰ সদ্ব্যৱহাৰ আৰু অপব্যৱহাৰ ৫৫৩
১৮৪ বাণিজ্য—সংকট আৰু বিশ্ব-সংকট ৫৬০
১৮৫ সংকটৰ হেতু ৫৬৯
১৮৬ নেতৃত্বলৈ আমেৰিকা আৰু ইংলেণ্ডৰ অৰিয়াঅৰি ৫৭৭
১৮৭ ডলাৰ, পাউণ্ড, টকা ৫৮৬
১৮৮ পুঁজিপতি দেশবোৰৰ অনৈক্য ৫৯৭

১৮৯	স্পেইনত বিপ্লব	৬০১
১৯০	জাৰ্মানীত নাজীসকলৰ জয়লাভ	৬০৭
১৯১	নিৰস্ত্ৰীকৰণ	৬২২
১৯২	পৰিত্ৰাতা প্ৰেচিডেন্ট ৰুজভেল্ট	৬২৮
১৯৩	পালিয়ামেণ্ট প্ৰথাৰ ব্যৰ্থতা	৬৩৫
১৯৪	পৃথিৱীলৈ এবাৰ শেষ দৃষ্টি	৬৪৩
১৯৫	যুদ্ধৰ ছাঁ	৬৫১
১৯৬	শেষ চিঠি	৬৬১
	পুনৰালোচনা	৬৬৯

মানচিত্ৰ

২৮	ৰুচিয়া আৰু পাৰস্য	১০
২৯	১৮১৫ চনত ইটালী	২৬
৩০	জাৰ্মানীৰ সম্প্ৰসাৰণ	৩৪
৩১	যুক্তৰাষ্ট্ৰৰ সম্প্ৰসাৰণ	১০৪
৩২	বৃটেইনৰ মিচৰ অধিকাৰ	১৩৬
৩৩	য়ুৰোপৰ তুৰ্কীসকলৰ শেষ উত্তৰাধিকাৰ	১৪৬
৩৪	য়ুৰোপ ১৯১৪-১৫	১৭৬
৩৫	য়ুৰোপ ১৯১৮	১৯৬
৩৬	চোভিয়েট ৰাচিয়া	২৩৫
৩৭	উত্তৰাধিকাৰ ৰাষ্ট্ৰসমূহ	২৬৮
৩৮	য়ুৰোপৰ নৱগঠিত ৰাষ্ট্ৰসমূহ	২৭২
৩৯	মুস্তাফা কামালৰ তুৰস্ক ৰক্ষা	৩০০
৪০	পশ্চিম এচিয়াৰ পুনৰ্জাগৰণ	৩৭৮
৪১	আৰব ৰাষ্ট্ৰসমূহ	৩৮৬
৪২	ইব্‌নে চৌদৰ আৰব সাম্ৰাজ্য	৪০৬
৪৩	আফগানিস্থান	৪২৪
৪৪	য়ুৰোপত ফৰাচী প্ৰভাৱ	৪৫৮
৪৫	ইটালী আৰু ভূমধ্য সাগৰীয় অঞ্চল	৪৭২
৪৬	চীন বিপ্লৱ	৪৯২
৪৭	চীনত জাপানৰ যুদ্ধ	৫০৪
৪৮	চোভিয়েট ৰাচিয়া কৰ্তৃক মধ্য এচিয়াৰ উন্নয়ন	৫১৬
৪৯	স্পেইনত গৃহযুদ্ধ	৬০৪
৫০	বাৰ্লিন-ৰোম মৈত্ৰী	৬৯২

১২৪

ইৰাণৰ প্ৰাচীন ঐতিহ্যৰ অবিচ্ছিন্নতা

২০ জানুৱাৰী, ১৯৩৩

যিখন দেশৰ আত্মা ভাৰতবৰ্ষলৈ আহি ইয়াৰ তাজমহলত উপযুক্ত শৰীৰ পাইছে বুলি কোৱা হৈছে, এতিয়া আমি সেই পাৰস্য দেশখনৰ কথালৈ যাওঁ। পাৰস্যীয় কলাৰ অসাধাৰণ ঐতিহ্য আছে। এই ঐতিহ্য আছিৰীয়বিলাকৰ দিনৰপৰা দুহেজাৰ বছৰতকৈও অধিক কাল অবিৰতভাৱে চলি আছে। চৰকাৰ, ৰাজবংশ আৰু ধৰ্মৰ পৰিৱৰ্তন ঘটিছে, দেশখনত বিদেশীৰ শাসন হৈছে আৰু সেই দেশৰে ৰজাৰ শাসনো হৈছে, ইচ্লাম ধৰ্ম সেই দেশলৈ গৈ ই তাত বহুত বৈপ্লৱিক পৰিৱৰ্তন সাধিছে, কিন্তু এই ঐতিহ্য অবিচ্ছিন্নভাৱে চলি আছে। অৱশ্যে বিভিন্ন যুগত ইয়াৰ পৰিৱৰ্তন আৰু উন্নয়ন হৈছে। প্ৰবাদ আছে যে পাৰস্যৰ মাটি আৰু সেই দেশৰ প্ৰাকৃতিক অৱস্থাৰ লগত পাৰস্যীয় কলাৰ সম্বন্ধ আছে আৰু এই সম্বন্ধৰ কাৰণেই এনে অবিচ্ছিন্নতা।

ইয়াৰ আগৰখন চিঠিত মই তোমাক নিনেভেৰ আছিৰীয় সাম্ৰাজ্যৰ কথা কৈছোঁ। পাৰস্য সেই সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। খ্ৰীষ্টৰ জন্মৰ প্ৰায় পাঁচ শ বা ছশ বছৰৰ পূৰ্বে ইৰাণীয় আৰ্যসকলে নিনেভে অধিকাৰ কৰি আছিৰীয় সাম্ৰাজ্যৰ অন্ত কৰিছিল। তাৰ পাচত পাৰস্যৰ আৰ্যসকলে সিন্ধু নদীৰ পাৰৰপৰা মিচৰলৈকে বিস্তৃত এখন ডাঙৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে পুৰণি পৃথিৱীখনত আধিপত্য স্থাপন কৰিছিল আৰু গ্ৰীক বিৱৰণবিলাকত তেওঁলোকৰ শাসনকৰ্তা-সকলক 'মহান্‌ৰজা' বুলি সঘনে উল্লেখ কৰা আছে। চাইৰাচ, দাৰায়ুচ আৰু জাৰেক্‌চেচ্ এই 'মহান ৰজা' সকলৰ ভিতৰত আছিল। তোমাৰ মনত থাকিব পাৰে যে দাৰায়ুচ আৰু জাৰেক্‌চেচে গ্ৰীচ দেশ অধিকাৰ কৰিবলৈ চেষ্টা কৰি পৰাজিত হৈছিল। এই ৰাজবংশটোক আকিমেনিদ ৰাজবংশ বোলা হৈছিল। মেচিডনৰ মহান্ আলেকজেণ্ডাৰে এই সাম্ৰাজ্যখন অন্ত নকৰালৈকে ২২০ বছৰ এই ৰাজবংশটোৱে ৰাজ্যখন শাসন কৰিছিল।

আছিৰীয় আৰু বেবিলনীয়বিলাকৰ পাছত পাৰস্যৰ আৰ্যসকলৰ আগমন নিশ্চয়কৈ বৰ সান্ত্বনাদায়ক হৈছিল চাগৈ। তেওঁলোক সভ্য আৰু সহিষ্ণু অধিপতি আছিল, তেওঁলোকে বিভিন্ন ধৰ্ম আৰু সংস্কৃতিক সমৃদ্ধি হবলৈ দিছিল। বিৰাট সাম্ৰাজ্যখন ভালকৈ শাসন কৰা হৈছিল আৰু সাম্ৰাজ্যৰ সকলো ভাগৰ লগত সহজে সংযোগ ৰক্ষা কৰিবৰ অৰ্থে ৰাজ্যখনত দীঘে-পথালিয়ে অসংখ্য ভাল আলি-পদূলি আছিল। ভাৰতবৰ্ষলৈ অহা আৰ্যসকলৰ লগত এই পাৰস্যীয় আৰ্য্য-সকলৰ ঘনিষ্ঠ সম্বন্ধ আছিল। জৰোষ্টাৰ বা জৰথুষ্ট্ৰ-প্ৰচাৰিত তেওঁলোকৰ ধৰ্মৰ

লগত সম্বন্ধ আছিল। আৰ্যসকলৰ বাসস্থান ব'ত্তে মহত্তৰ নাগে, সেই ঠাইত দুয়ো ধৰ্মৰে একে সাধাৰণ মূল্য আছিল।

আকিমেনিদ বংশৰ ৰজাসকল শ্ৰেষ্ঠ নিৰ্মাণকাৰী আছিল। তেওঁলোকৰ ৰাজধানী—নগৰ পাৰ্চেপালিচত তেওঁলোকে বিৰাট ৰাজ-প্ৰসাদ সজাইছিল, সেইবিলাকত বৰ বহল বহল কোঠালি আছিল আৰু কোঠাবিলাকত অসংখ্য স্তম্ভ আছিল, তেওঁলোকে মন্দিৰ সজা নাছিল। কিছুমান ধ্বংসাৱশেষ তেওঁলোকে সজোৱা অতি বৃহৎ অট্টালিকাবিলাকৰ বিষয়ে এতিয়াও অলপ ধাৰণা দিব পাৰে। আকিমেনিদ যুগৰ কলাৰ মৌৰ্যযুগৰ (অশোক আদিৰ) ভাৰতীয় কলাৰ লগত সম্বন্ধ থকা আৰু ইয়াক প্ৰভাৱিত কৰা যেন দেখা যায়।

আলেকজেণ্ডাৰে 'মহান ৰজা' দাবায়ুচক পৰাস্ত কৰি আকিমেনিদ ৰাজবংশৰ অন্ত কৰিছিল। তাৰ পাছত এছোৱা কাল চেলুকচ (তেওঁ আগেয়ে আলেকজেণ্ডাৰৰ সেনাপতি আছিল) আৰু তেওঁৰ উত্তৰাধিকাৰীসকলৰ অধীনত গ্ৰীক-শাসন চলিছিল আৰু তাতকৈ বেছি দীঘল আন এছোৱা কালত আধা বিদেশী শাসকৰ অধীনত গ্ৰীক প্ৰভাৱ চলি আছিল। ভাৰতবৰ্ষৰ সীমান্ত অঞ্চলত থকা যি কুশানবিলাকে দক্ষিণে বাৰাণসীলৈকে আৰু উত্তৰে মধ্য এচিয়ালৈকে ৰাজ্য বঢ়াইছিল তেওঁলোকৰ প্ৰভাৱ সমসাময়িক আছিল আৰু তেওঁলোকো গ্ৰীক প্ৰভাৱৰ অধীনস্থ আছিল। এইদৰে আলেকজেণ্ডাৰৰ পাচৰপৰা খ্ৰীষ্টাব্দ তৃতীয় শতাব্দীলৈকে পাঁচশ বছৰৰো অধিক কাল ভাৰতবৰ্ষৰ পশ্চিমৰ সমগ্ৰ এচিয়াত গ্ৰীক প্ৰভাৱৰ আধিপত্য হৈছিল। এই প্ৰভাৱ বাহিৰে কলা সম্পৰ্কীয় আছিল। ই পাৰস্যৰ ধৰ্মত হস্তক্ষেপ নকৰিছিল। তাত জৰথুষ্ট্ৰ ধৰ্মই চলি আছিল।

তৃতীয় শতাব্দীত পাৰস্যৰ জাতীয় পুনৰুত্থান হোৱাত নতুন এটা ৰাজবংশ শাসনত অধিষ্ঠিত হৈছিল। চাচানিদ নামৰ এই বংশটো আক্ৰমণাত্মক উগ্ৰ ৰূপে জাতীয়তাবাদী আছিল আৰু ই নিজক প্ৰাচীন আকিমেনিদ ৰজাসকলৰ উত্তৰাধিকাৰী বুলি দাবী কৰিছিল। উগ্ৰ জাতীয়তাবাদৰ ক্ষেত্ৰত সাধাৰণতে দেখাৰ দৰে এই বংশটো সঙ্কীৰ্ণ আৰু অসহিষ্ণু আছিল। এনে হোৱাৰ কাৰণ পশ্চিম ফালে ৰোমান সাম্ৰাজ্য আৰু কনষ্টাণ্টিনোপলৰ বাইজেণ্টাইন সাম্ৰাজ্য আৰু পূব ফালে ক্ৰমে আগুৱাই অহা তুৰ্কী উপজাতিবিলাকৰ মাজত ই চেপা খাই পৰাটো। তথাপি ইছলাম ধৰ্মৰ আবিৰ্ভাৱ হোৱাৰ আগলৈকে চাৰিশ বছৰতকৈও অধিক কাল ই শাসনত অধিষ্ঠিত হৈ থাকিব পাৰিছিল। চাচানিদবিলাকৰ ৰাজত্ব কালত জৰথুষ্ট্ৰ ধৰ্মী পুৰোহিত শ্ৰেণীটো সৰ্বেসৰ্বা আছিল, শাসন ব্যৱস্থাত এই শ্ৰেণীটোৰ আধিপত্য হৈছিল আৰু ই কোনো প্ৰকাৰৰ বিৰোধিতাৰ সন্মুখীন হোৱা নাছিল। প্ৰবাদমতে এই যুগতে তেওঁলোকৰ ধৰ্মগ্ৰন্থ আবেষ্টাৰ শেষ সংকলনটো যুগুত কৰা হৈছিল।

ভাৰতবৰ্ষত সেই কালত গুপ্ত সাম্ৰাজ্যৰ সমৃদ্ধি হৈছিল। কুশান আৰু বৌদ্ধ যুগৰ পাচৰ সেই সাম্ৰাজ্যৰো জাতীয় পুনৰুত্থান হৈছিল। কলা আৰু সাহিত্যত নৱজাগৰণ হৈছিল আৰু কালিদাস আদি কিছুমান আটাইতকৈ শ্ৰেষ্ঠ সংস্কৃত লেখক সেই কালত আছিল। চাচানিদবিলাকৰ দিনৰ পাৰস্যৰ লগত গুপ্তবিলাকৰ দিনৰ ভাৰতবৰ্ষৰ যে কলা বিষয়ৰ সম্পৰ্ক আছিল, তাৰ বহুতো চিন পোৱা গৈছে।

চাচানিদবিলাকৰ নিজৰ চিত্ৰ আৰু স্থাপত্যৰ নিৰ্দৰ্শন অতি অলপ মাথোন বৰ্ত্তমান কাললৈকে আছে। বিকেইটা পোৱা গৈছে, সেইবিলাকৰ অতিশয় শীৰত্ব আৰু চিত্তাকৰ্ষক। সেইবিলাকত চিত্ৰিত বস্ত্ৰবিলাক ধৰণৰ শিল্পত প্ৰোথিত ডিজাইনৰ বস্ত্ৰবিলাকৰে সৈতে হুবহু একে। চাচানিদবিলাকৰ নিজৰ কলা সম্পৰ্কীয় প্ৰভাৱ চীন আৰু গোবী মৰুভূমিলৈকে বিস্তৃত হৈছিল যেন দেখা যায়।

চাচানিদবিলাকৰ শীৰ্ষলীয়া কালৰ ৰাজত্বৰ শেষৰ ফালে তেওঁলোক দুৰ্ব্বল হৈছিল আৰু তেতিয়া পাৰস্যৰ অৱস্থা বেয়া হৈছিল। বাইজেণ্টাইন সাম্ৰাজ্যৰ লগত বহুকাল যুঁজ-বাগৰ চলাৰ পাচত দুয়োখন সাম্ৰাজ্য তেনেই ক্লান্ত হৈছিল। নতুন ধৰ্ম্মৰ প্ৰতি অদম্য উৎসাহ হোৱা আৰব বাহিনীৰ পক্ষে পাৰস্য অধিকাৰ কৰা একো টান নাছিল। সপ্তম শতাব্দীৰ মাজভাগত পয়গম্বৰ মহম্মদৰ মৃত্যুৰ দহ বছৰৰ ভিতৰতে পাৰস্য খলিফাৰ শাসনৰ অধীন হৈছিল। আৰব সৈন্যবিলাকে মধ্য এচিয়া আৰু উত্তৰ আফ্ৰিকালৈকে ৰাজ্য বিস্তাৰ কৰোঁতে তেওঁলোকে সেই-বিলাক অঞ্চললৈ অকল তেওঁলোকৰ নতুন ধৰ্ম্মটোকে নিয়া নাছিল, এটা শক্তিশালী আৰু ক্ৰমবৰ্দ্ধমান সভ্যতাও নিছিল। চিৰিয়া, মেচোপটেমিয়া, মিচৰ—এই সকলো-বিলাক অঞ্চলত আৰবীয় সংস্কৃতিৰ আধিপত্য হৈছিল। আৰবী ভাষা তেওঁলোকৰ ভাষা হৈছিল। আনকি জাতিগতভাৱে তেওঁলোক একে হৈ পৰিছিল। বাগদাদ, দামস্কচ আৰু কাইৰো আৰবীয় সংস্কৃতিৰ শ্ৰেষ্ঠ কেন্দ্ৰ হৈছিল আৰু নতুন সভ্যতাৰ প্ৰেৰণাত বহুত মনোৰম অট্টালিকা সেইবিলাক ঠাইত সজা হৈছিল। আনকি বৰ্ত্তমান কালতো এই সকলোবিলাক দেশ আৰবীয় দেশ; সেইবিলাক এখনৰ পৰা আনখন পৃথক হৈ আছে যদিও সেইবিলাকে একতাৰ সপোন দেখি আছে।

পাৰস্যকো আৰববিলাকে একেদৰেই অধিকাৰ কৰিছিল, কিন্তু তেওঁলোকে চিৰিয়া বা মিচৰত কৰাৰ দৰে পাৰস্যৰ মানুহবিলাকক তেওঁলোকৰ লগত লীন নিয়াৰ বা একে কৰিব নোৱাৰিছিল। ইৰাণী জাতিটো প্ৰাচীন আৰ্য্যগোষ্ঠীৰ হোৱা কাৰণে তেওঁলোকৰ চেমিটিক আৰববিলাকৰ লগত বহুত অমিল আছিল, তেওঁলোকৰ ভাষাও আৰ্য ভাষা আছিল। সেই কাৰণে এই জাতিটো পৃথক হৈ আছিল আৰু তেওঁলোৰ ভাষাৰ সমৃদ্ধি হৈছিল। ইচলামে দ্ৰুতগতিৰে বিস্তৃত হৈ জৰথুষ্ট্ৰৰ ধৰ্ম্ম আঁতৰাইছিল। এই ধৰ্ম্মই শেষত ভাৰতবৰ্ষত আশ্ৰয় পাইছিল। কিন্তু ইচলাম ধৰ্ম্মতো পাৰস্যবাসীয়ে তেওঁলোকৰ নিজৰ ঐতিহ্য অনুসৰণ কৰিছিল। তাৰ বাবে অনৈক্য হৈ দুটা দলৰ—ছিয়া আৰু চুন্নি নামে ইচলামৰ দুটা শাখাৰ উদ্ভৱ হৈছিল। পাৰস্য বাইকৈ ছিয়া সম্প্ৰদায়ৰ দেশ হৈছিল। সেই দেশ এতিয়াও তেনে হৈ আছে, ইচলাম ধৰ্ম্ম চলা পৃথিৱীৰ আন ভাগবিলাক প্ৰধানকৈ চুন্নি হৈ আছে।

কিন্তু পাৰস্যক একে কৰিব নোৱাৰিলেও সেই দেশত আৰবীয় সভ্যতাৰ শক্তিশালী প্ৰভাৱ পৰিছিল আৰু ভাৰতবৰ্ষৰ দৰে সেই দেশতো ইচলাম কলা বিষয়ৰ কাৰ্য্যকলাপত নতুন প্ৰেৰণা যোগাইছিল। আৰবী কলা-কৃষ্টি পাৰস্যৰ আদৰ্শবাদৰ দ্বাৰা প্ৰভাৱিত হৈছিল। পাৰস্যবাসীৰ বিলাসিতা মৰুভূমিৰ সৰল সন্তানবিলাকৰ পৰিয়ালত সোমাইছিল আৰু আৰব খলিফাৰ ৰাজসভা আগৰ কালৰ সম্ৰাটসকলৰ ৰাজসভাৰ দৰে জকমকীয়া আৰু ঐশ্বৰ্য্যপূৰ্ণ হৈছিল। সাম্ৰা-

জ্যৰ ৰাজধানী বাগদাদ সেই কালৰ আটাইতকৈ শ্ৰেষ্ঠ নগৰ হৈছিল। ইয়াৰ উত্তৰে টাইগ্ৰীচ নদীৰ পাৰৰ চামাৰাত খলিফাসকলে তেওঁলোকৰ কাৰণে বিশাল এটা মছজিদ আৰু এটা ৰাজপ্ৰসাদ সজাইছিল। এইবোৰৰ ধ্বংসাৱশেষ এতিয়াও আছে। মছজিদটোত বৰ বহল বহল কোঠালী আৰু চোতাল আছিল, চোতালত কৃত্ৰিম উহ আছিল। কাৰেংটো আয়তক্ষেত্ৰৰ আকাৰৰ আছিল, ইয়াৰ একোটা মূৰ এক কিলোমিটাৰৰ অধিক দীঘল হব।

নৱম শতাব্দীত বাগদাদ সাম্ৰাজ্যৰ অৱনতি হৈ ই কিছুমান ৰাজ্যত বিভক্ত হৈছিল। পাৰস্য স্বাধীন হৈছিল আৰু বাগদাদৰ নামমাত্ৰ খলিফাৰ ওপৰত তুৰ্কী উপজাতিবিলাকৰ আধিপত্য হৈছিল। একাদশ শতাব্দীৰ আৰম্ভণিতে গজনিত মামুদৰ অভ্যুদয় হৈছিল। তেওঁ ভাৰতবৰ্ষত লুটপাত চলায় আৰু খলিফাক ভয় খুৱাই নিজৰ কাৰণে অলপদিনীয়া এখন সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। তুৰ্কী উপজাতি চেলজুকবিলাকে সেই সাম্ৰাজ্যখন লোপ পেলাইছিল। চেলজুকবিলাকে খ্ৰীষ্টিয়ান্ ধৰ্মযোদ্ধাবিলাকৰ বিৰুদ্ধে উঠি বহুকাল যুদ্ধ চলাই জয়লাভ কৰিছিল আৰু তেওঁলোকৰ সাম্ৰাজ্যখন ১৫০ বছৰ তিষ্ঠি আছিল। দ্বাদশ শতাব্দীৰ শেষৰ ফালে আন এটা তুৰ্কী উপজাতিয়ে পাৰস্যৰপৰা চেলজুকবিলাকক খেদি পঠিয়াই খোৱাৰিচম বা খিৱ ৰাজ্য স্থাপন কৰিছিল। কিন্তু এই ৰাজ্য অতি অলপ দিন তিষ্ঠি আছিল, কাৰণ চেঙ্গিজ্‌খানে তেওঁৰ ৰাষ্ট্ৰদূতক খোৱাৰিচমৰ ছাহে অপমান কৰাৰ কাৰণে খং কৰি তেওঁৰ মঙ্গোলবিলাকৰে সৈতে সেই ৰাজ্যলৈ গৈ ৰাজ্যখন আৰু তাৰ মানুহবিলাকক ধ্বংস কৰিছিল।

সৰু এটা ছেদতে মই তোমাক বহুত পৰিবৰ্তন আৰু বহুত সাম্ৰাজ্যৰ কথা কথা কলোঁ, তুমি চাগৈ নিশ্চয় ভালকৈয়ে উবাদিহ লোপোৱা হৈছা। ৰাজবংশ আৰু জাতিবিলাকৰ উত্থান-পতনৰ কথাবিলাকৰ বোজাটো তোমাৰ মনত দিবলৈ মই এইবিলাক কথাৰ উল্লেখ কৰা নাই, এইবিলাক হৈ থকা সত্বেও কেনেকৈ কলা বিষয়ৰ ঐতিহ্য আৰু জীৱনধাৰা অবিৰতভাৱে চলি আছিল, তাক স্পষ্টকৈ দেখুৱাবলৈহে এই কথাবিলাকৰ উল্লেখ কৰিছোঁ। পূবফালৰপৰা এটাৰ পিচত আনটোকৈ তুৰ্কী উপজাতিবিলাক আহি পৈছিল আৰু যি পাৰসীয় আৰবীয় মিশ্ৰিত সভ্যতা বোখাৰাৰপৰা ইৰাকলৈ প্ৰচলিত হৈ আছিল, সেই সভ্যতাত তেওঁলোক লীন হৈছিল। যিবিলাক তুৰ্কী পাৰস্যৰ পৰা দূৰত থকা এচিয়ামাইনৰলৈ যাব পাৰিছিল, তেওঁলোকে নিজৰ ৰীতি-নীতি ৰাখি আছিল আৰু আৰবী সংস্কৃতিৰ অধীনলৈ যাবলৈ তেওঁলোক অমান্তি হৈছিল। তেওঁলোকে এচিয়া মাইনৰক প্ৰায় তেওঁলোকৰ স্বদেশ তুৰস্কৰ দৰে কৰি লৈছিল। কিন্তু পাৰস্য আৰু তাৰ ওচৰৰ দেশবিলাকত প্ৰাচীন ইৰাণ সংস্কৃতিৰ বল ইমান বেছি আছিল যে তেওঁলোকে তাক গ্ৰহণ কৰিছিল আৰু ইয়াৰ লগত তেওঁলোকে নিজৰ খাপ খুৱাইছিল। বিভিন্ন যিবিলাক তুৰ্কী ৰাজবংশই পাৰস্যত ৰাজত্ব কৰিছিল, তেওঁলোক সকলোৰে দিনত পাৰস্যৰ কলা আৰু সাহিত্যৰ সমৃদ্ধি হৈছিল। (মই ভাবিছোঁ যে) মই বোধকৰো তোমাক পাৰস্যৰ কবি ফিৰ্দৌছীৰ কথা আগতে কৈছোঁ, তেওঁ গজনিৰ চুলতান মামুদৰ দিনত জীৱিত আছিল। মামুদৰ অনুৰোধক্ৰমে তেওঁ পাৰস্যৰ জাতীয় মহাকাব্য 'ছাহনামা' লিখিছিল, এই গ্ৰন্থত বৰ্ণনা কৰা ঘটনাবিলাক ইচলাম ধৰ্ম প্ৰবৰ্তনৰ আগৰ কালৰ

আৰু কণ্টৰ ইৰাৰ শ্ৰেষ্ঠ বীৰ। ইৰাণপৰা বুজিব পাৰি পাৰস্যীয় কলা আৰু সাহিত্য কিমান ঘনিষ্ঠভাৱে প্ৰাচীনকালৰ জাতীয় আৰু ঐতিহ্যমূলক অতীতৰ লগত বান্ধ খাই আছিল। পাৰস্যীয় ৰঙীণ চিত্ৰ আৰু হাতীদাঁত আলিতজোলা সৰু মনোমোহা ৰঙীন চিত্ৰবিলাকৰ সৰহভাগ বিষয়বস্তু "শাহ্‌নামা"ৰ কাহিনীবিলাকৰপৰা লোৱা হৈছে।

শতাব্দীটো আৰু সহস্ৰাব্দীটো সলনি হোৱাৰ কালত ৯৩২ খ্ৰীঃৰপৰা ১০২১ খ্ৰীঃ লৈ ফিৰ্দৌছী জীৱিত আছিল। তেওঁৰ অলপ দিনৰ পিচতে আন এজন লোকৰ আবিৰ্ভাৱ হৈছিল। তেওঁৰ নামটো ফাৰ্চী ভাষাৰ দৰেই ইংৰাজী ভাষাটো বিখ্যাত হৈ আছে। তেওঁ আছিল পাৰস্যৰ নিছাপুৰৰ জ্যোতিষী কবি ওমৰ খায়াম। ওমৰ খায়ামৰ পিচত ছিৰাজৰ ছেখচাদিৰ আবিৰ্ভাৱ হৈছিল; তেওঁ পাৰস্যৰ আটাইতকৈ শ্ৰেষ্ঠ কবিসকলৰ এজন আছিল। তেওঁৰ 'গুলিষ্টান' আৰু 'বুষ্টান' ভাৰতবৰ্ষৰ মক্তববিলাকত স্কুলীয়া ল'ৰাবিলাকে অতীতৰ বহুত পুৰুষৰ আগৰপৰা মুখস্থ কৰিব লাগে।

মই শ্ৰেষ্ঠসকলৰ মুঠেই কেইজনমানৰ নাম উল্লেখ কৰিছোঁ। নামৰ দীঘলীয়া তালিকা এখন তোমাক দিয়াৰ একো অৰ্থ নাই। কিন্তু এই শতাব্দীবিলাক জুৰি পাৰস্যৰপৰা ট্ৰেন্স-অক্‌চিয়ানালৈকে যে পাৰস্যীয় কলা আৰু সংস্কৃতিৰ চাকি-টোৱে উজ্জ্বলকৈ পোহৰাই আছিল, সেই কথাটো তুমি উপলব্ধি কৰাটো মই বাঞ্ছা কৰোঁ। ট্ৰেন্স-অকচিয়ানাৰ বোখৰা আৰু বল্‌খৰ দৰে শ্ৰেষ্ঠ নগৰবিলাকে কলা আৰু সাহিত্য বিষয়ৰ কাৰ্যকলাপৰ কেন্দ্ৰ স্বৰূপে পাৰস্যৰ নগৰবিলাকৰ লগত প্ৰতিদ্বন্দ্বিতা চলাইছিল। বোখৰাতে দশম শতাব্দীৰ শেষত আটাইতকৈ প্ৰখ্যাত আৰব দাৰ্শনিক ইবনেচিনা বা আভিচেন্নাৰ জন্ম হৈছিল। বোখাৰাতে আকৌ ২০০ বছৰৰ পিচত আন এজন শ্ৰেষ্ঠ পাৰস্যীয় কবি জালালুদ্দিন ৰুমিৰ জন্ম হৈছিল। তেওঁক এজন শ্ৰেষ্ঠ ৰহস্যবাদী বুলি ভবা হয়। তেৱেঁই নটুৱা ফকিৰৰ সম্প্ৰদায়টো প্ৰতিষ্ঠা কৰিছিল।

এইদৰে যুদ্ধ, সংঘৰ্ষ আৰু ৰাজনৈতিক পৰিৱৰ্তনবিলাক হৈ থকা সত্ত্বেও পাৰস্যীয় আৰবীয় কলা আৰু সংস্কৃতিৰ ঐতিহ্যটো সতেজভাৱে চলি আছিল আৰু ই সাহিত্য, চিত্ৰকলা আৰু স্থপতিকলাৰ বহুতো শ্ৰেষ্ঠ নিদৰ্শনৰ সৃষ্টি কৰিছিল। তাৰ পিচত ভয়ঙ্কৰ দুৰ্যোগ হৈছিল। ১৩শ শতাব্দীত (আঃ ১২২০খ্ৰীঃত) চেঙ্গিজ-খানে মহাপৰাক্ৰমেৰে আৰু দ্ৰুত গতিৰে খোৰাছন আৰু ইৰাণৰ ওপৰত আক্ৰমণ চলাই এই দুই দেশ ধ্বংস কৰিছিল, আৰু কেইবছৰমানৰ পাচত হুলগুৱে বাগদাদ ধ্বংস কৰিছিল আৰু বহু শতাব্দীৰপৰা জাত গোট খাই থকা উচ্চতৰৰ সংস্কৃতিৰ সম্পত্তিবিলাক সম্পূৰ্ণে নাশ কৰা হৈছিল। মোৰ কোনোবা এখন আগৰ চিঠিত কেনেকৈ মঙ্গোলবিলাকে মধ্য এচিয়াক এক প্ৰকাৰে মৰুভূমিলৈ ৰূপান্তৰিত কৰিছিল আৰু কেনেকৈ তাৰ ডাঙৰ নগৰবিলাক মানুহে এৰি থৈ যোৱাৰ কাৰণে সেইবিলাক নগৰত জনপ্ৰাণী প্ৰায় নোহোৱা হৈছিল, তাৰ কথা তোমাক কৈছোঁ।

মধ্যএচিয়া এই ভয়ঙ্কৰ বিপদৰপৰা উঠি পুনৰ কেতিয়াও সম্পূৰ্ণ সুস্থ হব নোৱাৰিছিল; ই বিবিলি দুখ অৱস্থা পাইছিল, পিচত আচৰিত হবলগীয়া কথাহে। তোমাৰ মনত থাকিব পাৰে যে চেঙ্গিজ খানৰ মৃত্যুৰ পাচত তেওঁৰ বিশাল সাম্ৰাজ্যখন

ভাগ ভাগ হৈছিল। পাৰস্যত আৰু তাৰ চাৰিওকালে থকা অংশটো হুলগুৰ অধীনত হৈছিল এওঁ হেঁপাহ পলুৱাই ধ্বংসকাৰ্য চলোৱাৰ পাচত শান্তিপ্ৰিয় আৰু সহিষ্ণু শাসক হৈছিল আৰু ইলখানবিলাকৰ ৰাজবংশটো স্থাপন কৰিছিল। এই ইল-খানবিলাকে কিছুমান কাল মঙ্গোলবিলাকৰ প্ৰাচীন ধৰ্মআকাশৰ পূজা মানিছিল; পিচত তেওঁলোকক ইচলাম ধৰ্মত দীক্ষিত কৰা হৈছিল। এই ধৰ্মান্তৰ গ্ৰহণৰ আগেয়ে আৰু পাচতো তেওঁলোক আন ধৰ্মৰ প্ৰতি সম্পূৰ্ণ সহিষ্ণু আছিল। তেওঁলোকৰ বংশৰে চীনৰ 'শ্ৰেষ্ঠখানজন' আৰু তেওঁৰ পৰিয়ালটো বৌদ্ধ আছিল আৰু তেওঁলোকৰ লগত ইল-খানবিলাকৰ ঘনিষ্ঠ সম্বন্ধ আছিল। ইল-খানবিলাকে আনকি সুদূৰ চীনৰ খানবিলাকৰ ছোৱালী খুজি বিয়া কৰাইছিল।

পাৰস্য আৰু চীনৰ এই দুই শাখাৰ মঙ্গোলবিলাকৰ মাজত চলা সম্পৰ্কৰ ফল কলা বিষয়ত যথেষ্ট পৰিমাণে হৈছিল। চীনাবিলাকৰ প্ৰভাৱ ধীৰে ধীৰে পাৰস্যত পৰিছিলগৈ আৰু ৰঙীন চিত্ৰবিলাকত আৰবী, পাৰস্যীয় আৰু চীনা প্ৰভাৱৰ এটা আচৰিত সমন্বয় দেখা যায়। কিন্তু এই সম্পৰ্কতো সকলো বিপৰ্যয়ৰ সত্ত্বেও পাৰস্যীয় বৈশিষ্ট্যৰে সমৃদ্ধ হৈছিল। ১৪শ শতাব্দীৰ মাজভাগত আন এজন শ্ৰেষ্ঠ কবি হাফিজৰ জন্ম হৈছিল। তেওঁ এতিয়াও আনকি ভাৰতবৰ্ষতো জনপ্ৰিয় হৈ আছে।

মঙ্গোল ইল-খানবিলাকে বেচিদিন ৰাজত্ব কৰিব নোৱাৰিলে। তেওঁলোকৰ শেষ বংশধৰবিলাকক ট্ৰেন্স-অক্সিয়ানাৰ চমৰকণ্ডৰ তাইমুৰ নামৰ শ্ৰেষ্ঠ যোদ্ধা এজনে লোপ পেলাইছিল। এই ভয়ঙ্কৰ আৰু অত্যন্ত নিষ্ঠুৰ পশুতুল্য মানুহজনৰ বিষয়ে মই তোমালৈ আগতে লিখিছোঁ। তেওঁ কলাৰ ভাল পৃষ্ঠপোষক আছিল আৰু তেওঁক বিদ্বান মানুহ বুলি বিবেচনা কৰা হৈছিল। দিল্লী, ছিৰাজ, বাগ্দাদ আৰু দামাস্কচৰ নিচিনা ডাঙৰ নগৰবিলাকত লুটপাত কৰি সেইবিলাক নগৰ ধ্বংস কৰি, এইদৰে লুটি পোৱা ধন-সম্পত্তিবিলাক তেওঁৰ ৰাজধানী চমৰকণ্ডলৈ নি এইবিলা-কেৰে সেই নগৰখন সুন্দৰ কৰাতেই তেওঁৰ কলাৰ প্ৰীতি আবদ্ধ আছিল যেন দেখা যায়। কিন্তু চমৰকণ্ডৰ আটাইতকৈ বেছি আচৰিত আৰু বেচি চকুত লগা নিৰ্মাণ-কাৰ্য আছিল তাইমুৰৰ সমাধিমন্দিৰ গুৰ আমিৰ। এইটো তেওঁৰ উপযুক্ত সমাধি-মন্দিৰ হৈছে, কাৰণ ইয়াৰ চমৎকাৰ আকৃতিত তেওঁৰ আনক লেও কৰিব পৰা ব্যক্তিত্ব, শাৰীৰিক শক্তি আৰু ভয়ঙ্কৰ মনৰ বলৰ অলপ আভাস আছে।

তাইমুৰৰ মৃত্যুৰ পাচত তেওঁ অধিকাৰ কৰা বিস্তীৰ্ণ ৰাজ্যবিলাক ক্ৰমে কমি গৈছিল আৰু ট্ৰেন্স-অক্সিয়ানা আৰু পাৰস্যৰে সৈতে আপেক্ষিকভাৱে সৰু ৰাজ্য এভাগ তেওঁৰ উত্তৰাধিকাৰীবিলাকৰ কাৰণে আছিল। ১৫শ শতাব্দীটো জোৰাকৈ পূৰা ১০০ বছৰ এই 'তাইমুৰিদ' নাম পোৱা ৰজাবিলাকে (তাইমুৰৰ বংশধৰ-বিলাক) ইৰাণ, খোৰাচা আৰু হেৰাতত আধিপত্য চলাইছিল আৰু অতি আচৰিত কথা যে নিৰ্দয় দিগ্বিজয়ী এজনৰ এই বংশধৰবিলাক তেওঁলোকৰ বদান্যতা, দাক্ষিণ্য আৰু কলাৰ পৃষ্ঠপোষকতাৰ কাৰণে বিখ্যাত হৈছিল। তাইমুৰৰ নিজা পুতেক ছাহৰুখ এওঁলোকৰ ভিতৰত শ্ৰেষ্ঠ আছিল। তেওঁ তেওঁৰ ৰাজধানী হেৰাতত এটা বিৰাট গ্ৰন্থাগাৰ স্থাপন কৰিছিল আৰু এই গ্ৰন্থাগাৰে দূৰ দূৰ সাহিত্যিকক আকৰ্ষণ কৰিছিল।

তাইমুৰিদবিলাকৰ এশবছৰীয়া যুগটো কলা আৰু সাহিত্যবিষয়ৰ কাৰ্যকলাপৰ কাৰণে এনে বিখ্যাত হৈছিল যে ই 'তাইমুৰিদ নৱজাগৰণ' নামে জনাজাত। পাৰস্যীয় সাহিত্যৰ বিস্তৰ উন্নয়ন হৈছিল আৰু বহুত মনোহৰ ৰঙীন চিত্ৰ অঁকা হৈছিল। শ্ৰেষ্ঠ চিত্ৰকৰ বিহজাদ ৰঙীন চিত্ৰ অংকনৰ এটা ৰীতিৰ প্ৰবৰ্তক আছিল। কৌতূহলজনক কথা এই যে তাইমুৰিদ যুগৰ সাহিত্যিকৰ গোষ্ঠীবিলাকৰ মাজত পাৰস্যীয় সাহিত্যৰ লগে লগে তুৰ্কী সাহিত্যৰো উন্নয়ন হৈছিল। পুনৰ তোমাৰ মনত পেলাওঁ যে এইটোৱেই ইটালীৰ নৱজাগৰণৰো যুগ আছিল।

তাইমুৰিদসকল তুৰ্কী আছিল আৰু তেওঁলোক বহুতো পৰিমাণে পাৰস্যীয় সংস্কৃতিত লীন হৈছিল। তুৰ্কী আৰু মঙ্গোলবিলাকৰ অধীনত থকা ইৰাণৰ সংস্কৃতিয়ে বিজেতাবিলাকৰ ওপৰত আধিপত্য কৰিছিল। লগে লগে পাৰস্যই ৰাজনৈতিক মুক্তিৰ কাৰণেও সংগ্ৰাম চলাইছিল আৰু ক্ৰমে ক্ৰমে তাইমুৰিদবিলাকক পুব কাললৈ খেদি পঠোৱাত তেওঁলোকৰ অধীনস্থ ৰাজ্য সক হৈ ট্ৰেন্স-অক্সিয়ানাৰ চাৰিওকালৰ অঞ্চলত মাথোন ৰৈছিলগৈ। ১৬শ শতাব্দীৰ আৰম্ভণিত ইৰাণী জাতীয়তাবাদৰ জয় হৈছিল আৰু তাইমুৰিদবিলাকক পাৰস্যৰপৰা একেবাৰে খেদি পঠোৱা হৈছিল। চাফাভি বা চাফাভিদ নামৰ এটা জাতীয় ৰাজবংশ পাৰস্যত প্ৰতিষ্ঠিত হ'ল। ছেৰখানৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি হুমায়ুন ভাৰতবৰ্ষৰপৰা পলাই যাওঁতে এই বংশৰ দ্বিতীয়জন ৰজা প্ৰথম তাহমাস্পে হুমায়ুনক আশ্ৰয় দিছিল।

চাফাভিযুগটো ১৫০২ খ্ৰীঃৰপৰা ১৭২২ খ্ৰীঃলৈ ২২০ বছৰ চলিছিল। ইয়াক পাৰস্যীয় কলাৰ সোণালীযুগ বোলা হয়। ৰাজধানী ইস্পাহান ধৰক-জৰক অট্টালিকাৰে পৰিপূৰ্ণ আৰু কলাৰ প্ৰখ্যাত কেন্দ্ৰ হৈছিল, বিশেষকৈ ৰঙীন চিত্ৰ অংকণৰ কাৰণে ই বিখ্যাত হৈছিল। ছাহ আব্বাচ এই বংশৰ আটাইতকৈ বেছি নামজ্বলা ৰজা আছিল, তেওঁ ১৫৮৭ খ্ৰীঃৰ পৰা ১৬২৯ খ্ৰীঃলৈ ৰাজত্ব কৰিছিল আৰু তেওঁক পাৰস্যৰ আটাইতকৈ ডাঙৰ নৃপতিসকলৰ ভিতৰৰ এজন বুলি বিবেচনা কৰা হয়। একালে উজবেগবিলাকে আৰু আনকালে অটোমান তুৰ্কীবিলাকে তেওঁক বেৰি ধৰি আছিল। তেওঁ দুয়োকে খেদি পঠিয়াই এখন সবল ৰাজ্য সংগঠিত কৰিছিল; ইউৰোপৰ পশ্চিম কালৰ সুদূৰ দেশবিলাকৰ লগত আৰু আন আন দেশৰ লগত তেওঁ সম্পৰ্ক স্থাপন কৰিছিল আৰু তেওঁৰ ৰাজধানীখন সুন্দৰ কৰাত মনপুতি লাগিছিল। ছাহ আব্বাচৰ ইস্পাহান নগৰৰ পৰিকল্পনাটোক 'মৌলিক পৱিত্ৰতা আৰু স্পৃহাৰ শ্ৰেষ্ঠ নিদৰ্শন' বোলা হৈছে। যিবিলাক অট্টালিকা কৰা হৈছিল, সেইবিলাক অকল সুন্দৰ আৰু মনোমোহা কাৰুকাৰ্যৰে সুশোভিতেই নাছিল, যি মনোমোহা পৰিবেশত সেইবিলাক সজা হৈছিল, সি সেইবিলাকৰ জেউতি বঢ়াইছিল। সেইকালত যিবিলাক ইয়ুৰোপীয় ভ্ৰমণকাৰী পাৰস্যলৈ গৈছিল, তেওঁলোকে সেইবিলাকৰ উচ্চ প্ৰশংসা কৰি বৰ্ণনা দিছে।

পাৰস্যীয় কলাৰ এই সোণালীযুগত স্থাপত্য, সাহিত্য, 'ফ্ৰেস্কো' (খোদিত চিত্ৰ) আৰু সৰু আকাৰৰ ৰঙীন চিত্ৰ—এই দুয়োবিধৰ ৰঙীন চিত্ৰাঙ্কন, সুন্দৰ দলিচা, চিক্‌মিকীয়া ৰঙীন চিত্ৰ থকা মিহি মাটিৰ পাত্ৰ, ধাতু আদিৰ ওপৰত ৰঙীন মাৰ্বলৰ চিত্ৰ তোলা—এই সকলোবিলাকৰ সমৃদ্ধি হৈছিল। বিভুৰান (ফ্ৰেস্কো) খোদিত চিত্ৰ সৰু সৰু আকাৰৰ ৰঙীন চিত্ৰ আচৰিত ধৰণে লালিত্য পূৰ্ণ। কলাই

জাতীয় সীমা নেজানে, জনা উচিতো মহৰ, বাহিৰৰ বহুতো প্ৰভাৱে নিশ্চয়কৈ ১৬শ আৰু ১৭শ শতাব্দীৰ পাৰস্যীয় কলাক সমৃদ্ধ কৰিছিল। প্ৰবাদ আছে যে ইটালীৰ প্ৰভাৱ সুস্পষ্ট। কিন্তু এই সকলোবিলাকৰ মূলত আছে ইৰাণৰ কলাৰ যি প্ৰাচীন ঐতিহ্য ২000 বছৰ অবিৰতভাৱে চলি আছিল। ইৰাণী সংস্কৃতিৰ পৰিসৰ পাৰস্যতে আবদ্ধ নাছিল। পশ্চিমে তুৰস্ক আৰু পূৱে ভাৰত-বৰ্ষলৈকে এটা বিৰাট অঞ্চলত ই বিস্তৃত হৈছিল। ইউৰোপত ফৰাচী ভাষাৰ দৰে ভৰতবৰ্ষত, মোগল ৰাজসভাত আৰু পশ্চিম এচিয়াত সাধাৰণভাৱে ফাৰ্চী ভাষা (পাৰস্যৰ ভাষা) সংস্কৃতিৰ ভাষা আছিল। আগ্ৰাৰ তাজমহলত পাৰস্যীয় কলাৰ প্ৰাচীন শক্তিয়ে চিৰস্মৰণীয় নিদৰ্শন এটা ৰাখি আছে। প্ৰায় সেইদৰে এই কলাই পশ্চিমফালে সুদূৰ কনষ্টাণ্টি.নাপললৈকে অটোমান স্থাপত্য কলাক প্ৰভাৱিত কৰিছে আৰু পাৰস্যীয়ে প্ৰভাৱ সুস্পষ্ট হৈ থকা বহুতো প্ৰসিদ্ধ অট্টালিকা তাত সজোৱা হৈছিল।

পাৰস্যৰ চাফাভিসকল ভাৰতবৰ্ষৰ 'মহৎ মোগলসকলৰ' প্ৰায় সমসাময়িক আছিল। ভৰতবৰ্ষৰ প্ৰথম মোগল ৰজা বাবৰ চমৰকণ্ডৰ তাইমুৰিদ ৰাজকুমাৰ আছিল। পাৰস্যীয়বিলাক বেছি শক্তিশালী হোৱাত তেওঁলোকে তাইমুৰিদবিলাকক খেদি পঠিয়াইছিল আৰু ট্ৰেঞ্চ-অকচিয়ানা আৰু আফগানিস্থানৰ কিছুমান অংশ মাথোন তাইমুৰিদ ৰজাৰ অধীনত আছিল। এই সকলসুৰা ৰজাবিলাকৰ বিৰুদ্ধে বাবৰে ১২ বছৰ বয়সৰপৰা যুদ্ধ কৰিব লাগিছিল। তেওঁ যুদ্ধত কৃতকাৰ্য হৈ কাবুলৰ অধিপতি হৈ তাৰ পাচত ভাৰতবৰ্ষলৈ আহিছিল। বাবৰৰপৰাই সেই কালৰ তাইমুৰিদ বিলাকৰ উচ্চ সংস্কৃতিৰ বিষয়ে ধাৰণা কৰিব পাৰি, মোৰ আগৰ এখন চিঠিত তেওঁৰ আত্ম-জীৱনীৰপৰা কিছুমান উদ্ধৃতি দিছোঁ। চাফাভি নৃপতি-সকলৰ ভিতৰত শ্ৰেষ্ঠ নৃপতি ছাহ আব্বাচ আকবৰ আৰু জাহাঙ্গীৰৰ সমসাময়িক আছিল। এই দেশ দুখনৰ মাজত সকলো সময়তে অতি ঘনিষ্ঠ সম্পৰ্ক নিশ্চয়কৈ আছিল ছাগে। বহুকাল আফগানিস্থান ভাৰতবৰ্ষৰ মোগল সাম্ৰাজ্যৰ অংশ হৈ থকাৰ কাৰণে দুয়ো দেশৰ একে সীমান্ত আছিল।

১২৫

পাৰস্যত সাম্ৰাজ্যবাদ আৰু জাতীয়তাবাদ

২১ জানুৱাৰী, ১৯৩৩

মোৰ বিৰুদ্ধে তুমি এটা আপত্তি তুলিব পাৰা। মই বুৰঞ্জীৰ বিভিন্ন দশ লগোৱা বাটেৰে হৰামুৰাকৈ আগুৱাই আৰু পিচুৱাই লৈ তোমাক ভালকৈয়ে ব্যতি-ব্যস্ত কৰিছোঁ। বহুতো বেলেগ বেলেগ বাটেৰে ১৯ শতাব্দী পাই হঠাৎ কেইবা হাজাৰ বছৰৰ পিচলৈ তোমাক নি মিছৰৰপৰা ভাৰতবৰ্ষ, চীন আৰু পাৰস্যৰ মাজত জঁপিয়াই ফুৰিছোঁ। এইটো নিশ্চয় বিৰক্তিকৰ আৰু গণ্ডগোলীয়া, আৰু মই তোমাৰ প্ৰতিবাদ প্ৰায় শুনিছোঁ, কিন্তু ইয়াৰ সন্তোষজনক উত্তৰ মোৰ নাই। মঁচিয়ে বেনি গ্ৰ৹চেটৰ কিতাপ কেইখন পঢ়াৰ পৰা হঠাৎ মোৰ মনত চিন্তাৰ বহুতো সূত্ৰৰ উদয় হৈছিল আৰু সেইবিলাকৰ ভাগ তোমাকো নিদি নোৱাৰিলোঁ। আৰু মই অনুভৱ কৰিছিলোঁ যে এই চিঠিবিলাকত মই পাৰস্যৰ কথাৰে আগেয়ে আওকাণ কৰিছিলোঁ, সেই কাৰণে এই বাদ পৰি থকা কথাটোৰ ক্ষতি অলপ পূৰাব খুজিছিলোঁ। পাৰস্যৰ বিষয়ে যেতিয়া আলোচনা কৰি আছোঁ, সেই দেশৰ কাহিনীটো আধুনিক কাললৈকে কোৱাই ভাল হব।

মই তোমাক পাৰস্যৰ প্ৰাচীন ঐতিহ্য, পাৰসীয় সংস্কৃতিৰ উচ্চ-স্তৰৰ কাৰ্য্য-বিলাকৰ আৰু পাৰসীয় কলাৰ সোণালী যুগৰ কথা আৰু আন তেনে বহুতো কথা আগতে কৈছোঁ। সেই বৰ্ণনাবিলাক পুনৰ মন কৰি চালে এনে যেন লাগে যে সেইবিলাকৰ ভাষা বহুৎ সৰল আৰু ভ্ৰমাত্মক হৈছে। মানুহে হয়তো ভাবিব যে সঁচা-কৈয়ে পাৰস্যৰ মানুহৰ কাৰণে সোণালী যুগ এটা আহিছিল, তেতিয়া তেওঁলোকৰ সকলো দুৰ্গতি নাইকিয়া হৈছিল আৰু তেওঁলোকে সাধুকথাৰ মানুহবিলাকৰ দৰে সুখেৰে বাস কৰিছিল। অৱশ্যে এনেকুৱা নাছিল। সেই কালত সংস্কৃতি আৰু কলা অলপ সংখ্যাৰ মানুহৰ একচেটিয়া স্বত্ব আছিল, আনকি আজি কালিও বহুত পৰিমাণে তেনে হৈ আছে; জনসাধাৰণ বা শত-অনুপাতৰ মানুহৰ সেইবিলাকৰ লগত একো সম্পৰ্ক নাছিল। প্ৰকৃততে অতি প্ৰাচীন কালৰপৰা জন-সাধাৰণৰ জীৱন আহাৰ আৰু জীৱনৰ প্ৰয়োজনীয় বস্তুৰ কাৰণে চলোৱা অবিৰত সংগ্ৰাম হৈ আছে; জন্তুৰ জীৱনতকৈ বৰ বেছি বেলেগ হোৱা নাই। আন কোনো কথাৰ কাৰণে তেওঁলোকৰ আজৰি নাছিল; প্ৰতি দিনৰ দুৰ্য্যোগ প্ৰতিদিনৰ কাৰণে যথেষ্ট আছিল আৰু যথেষ্টতকৈও বেছি আছিল; তেওঁলোকে কলা আৰু সংস্কৃতিৰ কথা কি ভাবিব, সেইবিলাকৰ মোলেই বা কি বুজিব? পাৰস্য, ভাৰতবৰ্ষ, চীন, ইটালী আৰু ইউৰোপৰ আন আন দেশত কলাৰ সমৃদ্ধি হৈছিল ৰাজ সভা, ধনী মানুহ আৰু কালত [illegible]



থাকিব নৱনা শ্ৰেণীৰ মানুহবিলাকৰ আৱোল স্বৰূপে। ধৰ্ম-বিষয়ৰ কথাই যাবোল জনসাধাৰণৰ জীৱন কিছু পৰিমাণে স্পৰ্শ কৰিছিল।

কিন্তু কলাৰে বাপ থকা ৰাজ সভাই সুস্থ শাসন ব্যৱস্থা সুলুটাইছিল; যি-বিলাক শাসকে কলা আৰু সাহিত্যৰ পৃষ্ঠপোষক বুলি গৰ্ব কৰিছিল, তেওঁলোক শাসক ৰূপে প্ৰায় সঘনে অকামিলা আৰু নিষ্ঠুৰ আছিল। সেই কালত আন সৰহভাগ দেশত হোৱাৰ দৰে পাৰস্যৰ সমাজৰ সমগ্ৰ পদ্ধতিটো প্ৰায় সামন্তবাদী আছিল। সবল ৰজাসকলে সামন্ত জমিদাৰবিলাকৰ ঘৃণনীয় আৰু নিষ্ঠুৰ দাবীবিলাক বন্ধ কৰিছিল কাৰণে তেওঁলোক জনপ্ৰিয় হৈছিল। কোনো কোনো যুগত আপেক্ষিকভাৱে ভাল শাসন চলিছিল আৰু আন কিছুমান যুগত অত্যন্ত বেয়া শাসন চলিছিল।

ভাৰতবৰ্ষত মোগল শাসনৰ শেষ পৰ্যায় চলা কালতে, আনুমানিক ১৭২৫ খ্ৰীঃত চাফাভি ৰাজবংশৰ অন্ত পৰিছিল। সাধাৰণতে হোৱাৰ দৰে এই বংশটোৱে নিজে নিজৰ ধ্বংস সাধিছিল। সামন্তবাদ ক্ৰমে ক্ৰমে ভাগিছিল, প্ৰাচীন অৰ্থনৈতিক ব্যৱস্থা ওলট-পালট কৰা পৰিবৰ্তন দেশত হৈ আছিল। অসহনীয় কৰৰ বোজাই অৱস্থা বেচি বেয়া কৰিছিল আৰু মানুহৰ মাজত অসন্তোষ বাঢ়িছিল। সেই কালত চাফাভিবিলাকৰ অধীনত থকা আফগানবিলাকে বিদ্ৰোহ কৰিছিল আৰু তেওঁলোক অকল নিজৰ দেশতে কৃতকাৰ্য হৈ থকা নাছিল, তেওঁলোকে ইস্পাহান অধিকাৰ কৰি চাহক (ৰজাক) সিংহাসনৰপৰা নমাইছিল। অলপ দিনৰ পাচতে নাদিৰ চাহ নামে পাৰস্যীয় দলপতি এজনে আফগানবিলাকক খেদি পঠিয়াই তাৰ পাচত তেওঁ নিজেই সিংহাসনত বহিছিল। এই নাদিৰ চাহেই জৰাগ্ৰস্ত মোগলবিলাকৰ দিনত ভাৰতবৰ্ষত লুণ্ঠনৰ অভিযান চলাই নিৰীহ মানুহবিলাকক হত্যা কৰি চাহজাহানৰ ময়ূৰ সিংহাসনেৰে সৈতে অগাধ বহুমূলীয়া সম্পত্তি লুটি লৈ গৈছিল। ১৮শ শতাব্দীৰ পাৰস্যৰ বুৰঞ্জী গৃহযুদ্ধ, পৰিবৰ্তন হৈ থকা শাসন ব্যৱস্থা আৰু কুশাসনৰ শোকলগা কাহিনী আছিল।

১৯শ শতাব্দীত নতুন দুৰ্যোগ হৈছিল। ইউৰোপৰ সম্প্ৰসাৰী আৰু আক্ৰমণাত্মক সাম্ৰাজ্যবাদৰ লগত পাৰস্যৰ সংঘৰ্ষ হৈছিল। উত্তৰ ফালে ৰুচিয়াই লেৰা-লেপেৰাকৈ হেঁচি আছিল আৰু বৃটিছবিলাক পাৰস্য অখাতৰপৰা আগুৱাই গৈছিল। পাৰস্য ভাৰতবৰ্ষৰ পৰা বেচি দূৰৈত নাছিল; দুয়ো দেশৰ সীমা ক্ৰমে পৰস্পৰৰ ওচৰ চাপিছিল আৰু বাস্তৱতে বৰ্তমান কালত দুয়ো দেশৰ একে সীমাত হৈছে। পাৰস্য ভাৰতবৰ্ষলৈ যোৱা পোনপটীয়া বাটত আৰু এই দেশলৈ যোৱা সামুদ্ৰিক পথৰ কাষত আছিল। বৃটিছৰ সমস্ত নীতিৰ মূলত আছিল তেওঁলোকৰ ভাৰতবৰ্ষৰ সাম্ৰাজ্যৰক্ষণ আৰু এই দেশলৈ যোৱা পথবিলাক নিৰাপদ কৰি ৰখা। তেওঁলোকৰ প্ৰধান প্ৰতিদ্বন্দ্বী ৰুচিয়াই এই পথত ঠেং মেলি বহিলে সুযোগ বুটিবে ভাৰতবৰ্ষলৈ চাই থাকিবলৈ দিবলৈ তেওঁলোক কোনো ৰকমে মান্তি নহৈছিল। সেই কাৰণে বৃটিছ আৰু ৰুচ—এই দুয়ো জাতিয়ে পাৰস্যৰ বিষয়লৈ সতেজ আগ্ৰহ কৰি দুৰ্ভগীয়া দেশ খনক ব্যতিব্যস্ত কৰিছিল। চাহসকল তেনেই অকামিলা আৰু মূৰ্খ আছিল। তেওঁ-লোকে অনবৰত বৃটিছ বা ৰুচবিলাকৰ লগত যুঁজিবলৈ চেষ্টা কৰি নাইবা তেওঁলোকৰ নিজৰ প্ৰজাৰ বিৰুদ্ধেই যুদ্ধ কৰি সাধাৰণতে বৃটিছ আৰু ৰুচবিলাকৰ

হাতৰ মুঠিৰ ভিতৰত সোমাইছিল। এই শক্তি দুটাৰ মাজত প্ৰতিদ্বন্দ্বিতা নথকা হলে ৰুচিয়া বা ইংলেণ্ডে পাৰস্যক সম্পূৰ্ণ অধিকাৰ কৰি তেওঁলোকৰ সাম্ৰাজ্যৰ লগ লগালেহেঁতেন নাইবা এই দেশক অধীনস্থ ৰাজ্য কৰিলেহেঁতেন।

বিংশ শতাব্দীৰ আৰম্ভণিত আন এটা কাৰণত পাৰস্য লোভৰ বিষয় হৈছিল। তেল বা পেট্ৰ'লিয়াম তাত আৱিষ্কাৰ কৰা হৈছিল আৰু এই বস্তুটো বৰ মূল্যবান আছিল। ১৯০১ খ্ৰীঃত ডি-আৰ্কি নামৰ বৃটিছ প্ৰজা এজনক পাৰস্যৰ তেল খাটিবিলাক খান্দি উলিয়াবলৈ দীঘলীয়া ৬০ বছৰৰ কাৰণে অতি সুবিধাজনক কিছুমান আছুতীয়া স্বত্ব দিবলৈ পাৰস্যৰ বৃদ্ধ ছাহ জনক মান্তি কৰোৱা হৈছিল। কেই বছৰ মানৰ পাচত এই তেল-খাটিবিলাকৰ কাম চলাবৰ কাৰণে "এংলো পাৰ্চিয়ান অইল কোম্পানী" (ইংৰাজ--পাৰস্যীয় তেল কোম্পানী) নামে কোম্পানী এটা স্থাপন কৰা হৈছিল। তেতিয়াৰপৰা এই কোম্পানীটোৱে তাত কাম চলাই তেলৰ এই কাৰবাৰৰপৰা অপৰিমিত লাভ কৰি আছে। লাভৰ সৰু এটা ভাগ পাৰস্যৰ চৰকাৰে পাইছিল, কিন্তু সৰহীয়া এটা ভাগ দেশৰ বাহিৰৰ কোম্পানীৰ অংশীদাৰবিলাকে পাইছিল আৰু আটাইতকৈ সৰহীয়া অংশৰ অংশীদাৰ হৈছে বৃটিছ চৰকাৰ। পাৰস্যৰ বৰ্ত্তমান চৰকাৰ সবলভাৱে জাতীয়তাবাদী আৰু বিদেশীয়ে দেশখন শোষণ কৰাৰ তেওঁলোক ঘোৰ বিৰোধী। ১৯০১ চনত ডি, আৰ্কিৰ লগত কৰা ৬০ বছৰীয়া যি পুৰণি চুক্তি মতে 'এংলোপাৰ্চিয়ান অইল কোম্পানী'য়ে কাম চলাই আছিল তেওঁলোকে সেই চুক্তিটো ৰ'দ কৰিছিল। এই বাবে বৃটিছ চৰকাৰ অত্যন্ত বিৰক্ত হৈছিল, তেওঁলোকে পাৰস্যৰ চৰকাৰক বিপদৰ ভয় দেখুৱাই আৰু ধমক দি ভয় খুৱাবলৈ চেষ্টা কৰিছিল, তেওঁলোকে পাহৰি গৈছিল যে কালৰ পৰিবৰ্ত্তন হৈছে আৰু এতিয়া এচিয়াৰ মানুহক ধমক দি ভয় খুওৱা সিমান সহজ নহয়। (১)

কিন্তু মই ভৱিষ্যতৰ বুৰঞ্জী আগতে আলোচনা কৰিছোঁ। সাম্ৰাজ্যবাদৰপৰা পাৰস্যত বিপদৰ ভয় হোৱা আৰু ছাহজন ক্ৰমে বেছিকৈ ইয়াৰ হাতৰ পুতলা হোৱাৰ অনিবাৰ্য ফল স্বৰূপে তাত জাতীয়তাবাদৰ সংবৰ্দ্ধন হৈছিল। জাতীয়তাবাদী দল এটা প্ৰতিষ্ঠিত হৈছিল। এই দলটো বিদেশীৰ হস্তক্ষেপত বিৰক্ত আৰু ক্ৰোধান্বিত হৈছিল আৰু ছাহৰ স্বেচ্ছাচাৰী শাসনৰো সমানে তীব্ৰ বিৰোধী আছিল। তেওঁলোকে এখন গণতান্ত্ৰিক সংবিধানৰ আৰু আধুনিক সংস্কাৰৰ দাবী কৰিছিল। দেশখন বেয়াকৈ শাসন কৰা হৈছিল আৰু মানুহবিলাকৰ ওপৰত অসহনীয় কৰ লগোৱা হৈছিল। সিকালে ৰুচ আৰু বৃটিছবিলাকে অবিৰতভাৱে হস্তক্ষেপ কৰি আছিল। প্ৰতিক্ৰিয়াশীল ছাহজনৰ প্ৰজাবিলাকে অলপমান মুক্তিৰ দাবী কৰিছিল কাৰণে তেওঁ নিজৰ প্ৰজাবিলাকতকৈ এই বিদেশী চৰকাৰ দুটাৰ সকহে বেছি নিৰাপদ বোল অনুভৱ কৰিছিল; গণতান্ত্ৰিক সংবিধানৰ এই দাবীটো বাইকৈ নতুনকৈ উত্থ হোৱা মধ্য-বিত্তৰ শ্ৰেণীবিলাক আৰু বুদ্ধিজীৱী সকলৰপৰা হৈছিল। ১৯০৪ খ্ৰীঃত জাৰৰ ৰুচিয়াৰ বিৰুদ্ধে জাপানৰ বিজয়ে পাৰস্যৰ জাতীয়তাবাদীসকলক বৰ বেচিকৈ আত্মপ্ৰত্যয় আৰু প্ৰেৰণা যোগাইছিল, কাৰণ এই বিজয়টো ইয়ুৰোপৰ শক্তি এটাৰ বিৰুদ্ধে এচিয়াৰ শক্তি এটাৰ বিজয় আছিল, তদুপৰি জাৰৰ ৰুচিয়া তেওঁলোকৰ প্ৰতি

(১) শেহাতৰ বৃটিছ চৰকাৰ আৰু তেল কোম্পানীয়ে ইৰাণী চৰকাৰৰ কাৰণে বৰ বেছিকৈ সুবিধাজনক এটা নতুন চুক্তি গ্ৰহণ কৰিবলগীয়া হৈছিল।

আক্ৰমণাত্মক আৰু আপদীয়া প্ৰতিবেশী আছিল। ১৯০৫ খ্ৰীঃৰ ৰুচিয়াৰ বিপ্লৱ অকৃতকাৰ্য হৈছিল, আৰু ইয়াক নিষ্ঠুৰ ভাৱে দমন কৰা হৈছিল, তথাপি এই বিপ্লৱেও পাৰস্যৰ জাতীয়তাবাদীসকলৰ উৎসাহ আৰু সক্ৰিয় হোৱাৰ বাট বঢ়াইছিল। ছাহৰ ওপৰত জনমতৰ হেঁচা ইমান বেছি হৈছিল যে তেওঁ অনিচ্ছা সত্ত্বেও ১৯০৬ খ্ৰীঃত গণতান্ত্ৰিক সংবিধানৰ প্ৰস্তাৱটোত সম্মতি দিছিল। "মজলিচ" নামৰ জাতীয় সংসদখন প্ৰতিষ্ঠা কৰা হৈছিল আৰু পাৰস্যৰ বিপ্লৱ কৃতকাৰ্য্য হোৱা যেন দেখা গৈছিল।

কিন্তু সন্মুখত দুৰ্যোগ আছিল। ছাহৰ নিজক বিলোপ কৰাৰ ইচ্ছা নাছিল আৰু ৰুচ আৰু বৃটিছবিলাকে পাৰস্য গণতান্ত্ৰিক হোৱাটো অলপো বিচৰা নাছিল, কাৰণ গণতান্ত্ৰিক পাৰস্য সবল আৰু বিৰক্তিকৰ হ'ব পাৰে। ছাহ আৰু 'মজলিচৰ' মাজত সংঘৰ্ষ হোৱাত বাস্তৱিকতে ছাহে নিজৰ পাৰ্লিয়ামেণ্টখনৰ ওপৰতে বোমা পেলাইছিল। কিন্তু জনসাধাৰণে আৰু সৈন্য বাহিনীয়ে 'মজলিচ'ৰ আৰু জাতীয়তাবাদীসকলৰ লগ লৈছিল, ৰুচ সৈন্য দলবিলাকেহে ছাহক ৰক্ষা কৰিছিল। ৰুচিয়া আৰু ইংলেণ্ড—এই দুয়ো দেশে কিবা এটা অজুহাতত,—সাধাৰণতে তেওঁলোকৰ নিজৰ নিজৰ নাগৰিকৰ নিৰাপত্তাৰ অজুহাতত—নিজৰ সৈন্য দলবিলাক পাৰস্যলৈ আনি তাত ৰাখিছিল। পাৰস্যৰ মানুহক ধমক দি ভয় লগা ৰুচ্ছাক সৈন্যবিলাক ৰাখিছিল আৰু বৃটিছে ভাৰতীয় সৈন্যৰ দলবিলাক নি ৰাখিছিল, যদিও পাৰস্যৰ মানুহৰ লগত আমাৰ কোনো কন্দল নাছিল।

পাৰস্যৰ ডাঙৰ সঙ্কট হৈছিল। সেই দেশৰ ধন নাছিল আৰু জনসাধাৰণৰ অৱস্থা বেয়া আছিল। "মজলিচে" অৱস্থা উন্নত কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু ৰুচ বা বৃটিছৰ নাইবা দুয়োৰে যুটীয়া বিৰোধিতাৰ বাবে তেওঁলোকৰ সকলো চেষ্টা বন্ধ কৰা হৈছিল। অৱশেষত তেওঁলোকে আমেৰিকাৰ পৰা সহায় বিচাৰি বিত্ত বিষয়ত পাৰ্গত এজন সুদক্ষ আমেৰিকানক তেওঁলোকৰ বিত্ত বিষয়টোৰ সংস্কাৰত সহায় কৰিবলৈ নিযুক্ত কৰিছিল। মৰ্গান চুষ্টাৰ নামৰ এই আমেৰিকানজনে এনে কৰিবলৈ পাৰেমানে চেষ্টা কৰিছিল, কিন্তু তেওঁ নিৰন্তৰে ৰুচ নাইবা বৃটিছৰ বিৰোধিতাৰ অভেদ্য দুৰ্গৰ সন্মুখীন হৈছিল। বিৰক্ত আৰু নিৰুৎসাহ হৈ তেওঁ সেই দেশ এৰি নিজৰ দেশলৈ উলটি গৈছিল। চুষ্টাৰে পাচত লেখা এখন কিতাপত ৰুচ আৰু বৃটিচ সাম্ৰাজ্যবাদে কেনেকৈ পাৰস্যৰ জীৱনী শক্তি ধ্বংস কৰিছিল তাৰ কাহিনীটো বৰ্ণনা কৰিছিল। কিতাপখনৰ নামটোৱেই অৰ্থপূৰ্ণ আৰু ই'য়েই এটা কাহিনী প্ৰকাশ কৰে। ইয়াৰ নাম হ'ল 'পাৰস্যৰ ধৰকমৰণি'।

স্বাধীন ৰাষ্ট্ৰ স্বৰূপে পাৰস্য অলুপ্ত হোৱাৰ ভাগ্য সেই দেশৰ আছিল যেন দেখা যায়। ৰুচিয়া আৰু ইংলেণ্ডে দেশখন নিজৰ নিজৰ "প্ৰভাৱৰ ক্ষেত্ৰ"ত বিভক্ত কৰি লৈ এই পৰিণতি ঘটোৱাৰ প্ৰথম ব্যৱস্থা আগতে কৰিছিল। তেওঁলোকৰ সৈন্যই প্ৰধান কেন্দ্ৰ কিছুমান অধিকাৰ কৰিছিল; বৃটিছ কোম্পানী এটাই দেশখনৰ তেলৰ পুংবিলাক চলাইছিল। পাৰস্য তেনেই দুৰৱস্থাত পৰিছিল। বিদেশী শক্তি এটাই দেশখন সম্পূৰ্ণৰূপে অধিকাৰ কৰা হ'লেও বেছি ভাল হ'লহেঁতেন; কাৰণ ই লগতে কিছুমান দায়িত্বও আনিলেহেঁতেন। এই অৱস্থা চলি থাকোঁতে ১৯১৪ খ্ৰীঃত বিশ্বযুদ্ধখনৰ অশান্তি আহিছিল।

এই যুদ্ধত পাৰস্যই নিৰপেক্ষতা ঘোষণা কৰিছিল, কিন্তু বলীৰ ওচৰত দুৰ্বলৰ ঘোষণাৰ অতি কম অৰ্থ থাকে। সকলো কেইটা সংশ্লিষ্ট পক্ষই পাৰস্যৰ নিৰপেক্ষতাত একো মূল্য নিদিছিল, বিদেশী সৈন্য বাহিনীবিলাক তাতে সৈ পৰস্পৰে আত যুদ্ধ কৰিছিল, পাৰস্যৰ দুৰ্ভগীয়া চৰকাৰে সেই বিষয়ে কি ভাবিছিল তাতে ভ্ৰূক্ষেপ নকৰিছিল। পাৰস্যৰ চাৰিওফালে বিশ্বযুদ্ধত লিপ্ত থকা দেশবিলাক আছিল। ৰুচিয়া আৰু ইংলেণ্ড একালৰপৰা মিত্ৰ শক্তি আছিল, তুৰস্ক জাৰ্মাণীৰ মিত্ৰ আছিল, সেই কালত ইৰাক আৰু আৰৱতো তুৰস্কৰ আধিপত্য আছিল। ১৯১৮ খ্ৰীষ্টাব্দত ইংলেণ্ড আৰু ফ্ৰান্সত আৰু তেওঁলোকৰ মিত্ৰ শক্তিৰ বিজয়েৰে যুদ্ধখন শেষ হৈছিল আৰু সেই কালত বৃটিছ সৈন্যবিলাকে পাৰস্য দেশ সম্পূৰ্ণকৈ অধিকাৰ কৰি আছিল। ইংলণ্ডে পাৰস্যক আশ্ৰিত ৰাজ্য বুলি ঘোষণা কৰিবলৈ যো-জা কৰিছিল—আশ্ৰিত ৰাজ্য কৰাৰ অৰ্থ নিৰ্খুঁতভাৱে অধিকাৰ কৰা—আৰু ভূমধ্য সাগৰৰ পৰা বেলুচিস্থান আৰু ভাৰতবৰ্ষলৈকে বিস্তৃত এখন বিশাল "বৃটিছ মধ্য প্ৰাচ্য সাম্ৰাজ্য" স্থাপনৰ সপোন দেখিছিল। কিন্তু সপোনটো দিঠকত নকলিয়ালে। বৃটেনৰ দুৰ্ভাগ্যৰ কাৰণে জাৰৰ ৰুচিয়া অদৃশ্য হৈ চোভিয়েট ৰুচিয়া হৈছিল। আকৌ বৃটিছৰ দুৰ্ভাগ্যৰ কাৰণেই তুৰস্কৰ বৃটেইনৰ পৰিকল্পনা আওবাটে গৈছিল আৰু কামালপাছাই তেওঁৰ দেশখনক মিত্ৰ শক্তিৰ ঠিক মুখৰ গৰাহৰপৰা ৰক্ষা কৰিছিল।

এই সকলোবিলাক ঘটনাই পাৰস্যৰ জাতীয়তাবাদীসকলক সহায় কৰিছিল আৰু পাৰস্য নামত মুক্ত হৈ থাকিবলৈ সক্ষম হৈছিল। ১৯২১ চনত ৰেজাখান নামৰ, পাৰস্যীয় সৈনিক এজনে এটা সফল ৰাজনৈতিক সংঘাতৰ সৃষ্টি কৰি প্ৰাধান্য লাভ কৰিছিল। তেওঁ সৈন্যবাহিনীত নিজৰ আধিপত্য স্থাপন কৰি পিচত প্ৰধানমন্ত্ৰী হৈছিল। ১৯২৫ খ্ৰীষ্টাব্দত বৃদ্ধ ছাহক সিংহাসনৰপৰা নমাই গণ-পৰিষদ এখনৰ 'ভোটৰ দ্বাৰা' ৰিজাখানক নতুন ছাহ নিৰ্বাচিত কৰা হৈছিল। তেওঁ ৰিজা ছাহ পহলৱী নাম আৰু উপাধি লৈছিল।

ৰিজাছাহে শান্তিপূৰ্ণভাৱে আৰু বাহিৰে দেখাত গণতান্ত্ৰিক পদ্ধতিৰে সিংহাসন লাভ কৰিছিল। 'মজলিচ' এতিয়াও কাৰ্যকৰ হৈ আছে আৰু নতুন ছাহজনে স্বেচ্ছাচাৰী ৰজাৰ দৰে ক্ষমতা নচলায়। পিচে এই কথা স্পষ্ট যে পাৰস্যৰ চৰকাৰৰ মূলত তেওঁ শক্তিশালী পুৰুষ। যোৱা কেইবছৰত পাৰস্যৰ ৰূপ ঘৰকৈ বদলিছে আৰু ৰেজাছাহে দেশখনক আধুনিক যুগৰ লগত মিলাবৰ কাৰণে বহুতো সংস্কাৰ সাধন কৰিবলৈ মন পুতি লাগিছে। জাতীয় জাগৰণ তীব্ৰ হৈছে, ই দেশখনত নতুন উদ্দীপনাৰ সঞ্চাৰ কৰিছে আৰু পাৰস্যত যিবিলাক বিষয়ত বিদেশীৰ স্বাৰ্থ আছে, সেইবিলাকৰ সম্পৰ্কত ই আক্ৰমণাত্মক জাতীয়তাবাদৰ ৰূপ লৈছে

আৰু এটা লক্ষ্য কৰিবলগীয়া কৌতূহলজনক কথা এই যে এই জাতীয় জাগৰণটো দুহেজাৰ বছৰ জোৰা ইৰাণীয় ঐতিহ্যৰ ভেটিত হৈছে। ই ইচলাম ধৰ্ম প্ৰৱৰ্তিত হোৱাৰ আগৰ ইৰাণৰ মহত্বৰ প্ৰাচীন কাললৈ উলটি চাই তাৰ পৰা প্ৰেৰণা লাভ কৰিবলৈ চেষ্টা কৰিছে। ৰিজাছাহে লোৱা 'পহলৱী' নামটো এনে এটা ৰাজবংশৰ নাম যি মানুহৰ মন প্ৰাচীন কাললৈ ওলোটাই নিয়ে। পাৰস্যৰ মানুহবিলাক অৱশ্যে মুচলিম—ছিয়া মুচলিম, কিন্তু তেওঁলোকৰ দেশৰ

সম্পৰ্কৰ সকলো কথাতে জাতীয়তাবাদ বেচি পৰাক্ৰমী শক্তি। এচিয়াৰ সকলো ভাগতে এনে ঘটিছে। ইউৰোপত ১০০ বছৰৰ পূৰ্বে ১৯শ শতাব্দীত এনে হৈছিল ; কিন্তু আজি ইতিমধ্যে বহুত মানুহে জাতীয়তাবাদক অনাকাংক্ষীয়াল হোৱা মতবাদ বুলি বিবেচনা কৰি প্ৰচলিত অৱস্থাৰ লগত বেছিকৈ খাপ খোৱা বিশ্বাস-পদ্ধতি আৰু মতবাদৰ অন্বেষণ কৰিছে।

এতিয়া পাৰস্যৰ চৰকাৰী নাম ইৰাণ। ৰিজাছাহে আদেশ জাৰি কৰিছে যে পাৰস্য নামটো আৰু কেতিয়াও ব্যৱহাৰ কৰিব পৰা নহ'ব।

১২৬

বিভিন্ন বিপ্লৱ—বিশেষকৈ ১৮৪৮ চনৰ বিপ্লৱৰ কথা

২৮ জানুৱাৰী, ১৯৩১
ইদুল্ ফিট্‌ৰ

এতিয়া আমি ইয়ুৰোপলৈ উলটি গৈ ১৯শ শতাব্দীত এই মহাদেশখনৰ জটিল আৰু নিৰন্তৰ পৰিবৰ্ত্তন হৈ থকা চিত্ৰটো আৰু এবাৰ চোৱা উচিত হ'ব। দুমাহৰ পূৰ্বে লিখা মোৰ কেইখনমান চিঠিত আমি এই শতাব্দীটোৰ বিষয়ে সাধাৰণভাৱে আলোচনা কৰিছিলোঁ আৰু মই ইয়াৰ প্ৰধান লক্ষণবিলাক দেখুৱাই-ছিলোঁ। মই তেতিয়া উল্লেখ কৰা সকলো 'বাদ'ৰ কথা তুমি মনত ৰাখিছা বুলি প্ৰায় আশা কৰিব নোৱাৰি; সেই 'বাদ'বিলাকৰ কেইটামান পুনৰ উল্লেখ কৰিলে এনে হয়; উদ্যোগবাদ, পুঁজিবাদ, সাম্ৰাজ্যবাদ, জাতীয়তাবাদ আৰু আন্তৰ্জাতিকতাবাদ; মই তোমাক গণতন্ত্ৰ আৰু বিজ্ঞানৰ কথা, পৰিবহনৰ পদ্ধতিত ভয়ঙ্কৰ বিপ্লৱৰ কথা জনসাধাৰণৰ শিক্ষা আৰু তাৰ ফলৰ কথা আৰু আধুনিক বাতাৰকাকতৰ কথা কৈছিলোঁ। এই সকলোবিলাক আৰু আন বহুতো বিষয় লগ লাগি সেই কালৰ ইয়ুৰোপৰ সভ্যতা গঠিত হৈছিল; সেই সভ্যতা 'বুৰ্জোৱা' বা মধ্যবিত্তৰ সভ্যতা আছিল আৰু তাত মধ্যবিত্তৰ শ্ৰেণীবিলাকে পুঁজিবাদৰ পদ্ধতিৰে উদ্যোগ চলোৱা যন্ত্ৰবিলাকত আধিপত্য কৰিছিল। 'বুৰ্জোৱা' (মধ্য-বিত্তৰ) ইয়ুৰোপৰ এই সভ্যতাই দোপতদোপে উদ্‌গতি কৰিছিল, উচ্চ স্তৰৰপৰা ই উচ্চতৰ স্তৰলৈ উঠিছিল; শতাব্দীটোৰ শেষৰ কালে ইয়াৰ পৰাক্ৰমৰে ই নিজকে স্তম্ভিত কৰিছিল আৰু পৃথিৱীকো স্তম্ভিত কৰিছিল আৰু সেই কালতে ইয়াৰ ডাঙৰ বিপদ হৈছিল।

এচিয়াত এই সভ্যতা সক্ৰিয় হোৱাৰ বিষয়ে আমি অলপ বিশদভাৱে জানিছোঁ। ক্ৰমে উদ্‌গতি কৰি থকা উদ্যোগ-পদ্ধতিৰ উদগণিত ইয়ুৰোপে দূৰৈৰ দেশবিলাকলৈ হাত মেলি সেইবিলাক গ্ৰাস কৰি তাত আধিপত্য স্থাপন কৰি সাধাৰণতে নিজৰ সুবিধাৰ কাৰণে সেইবিলাক দেশত হস্তক্ষেপ কৰিবলৈ চেষ্টা কৰিছিল। ইয়াত ইয়ুৰোপ মানে মই বিশেষকৈ পশ্চিম ইয়ুৰোপক বুজাইছোঁ। এই ভাগেই উদ্যোগৰ পদ্ধতিত আগৰণুৱা আছিল আৰু ইয়াৰ সকলোবিলাক দেশৰ ভিতৰত ইংলেণ্ড আনবিলাক দেশতকৈ বহুত আগৰেপৰা বহুকাল প্ৰতিদ্বন্দ্বী নেতা আৰু এই নেতৃত্বৰ পৰা সেই দেশ ধনকৈ উপকৃত হৈছিল।

শতাব্দীটোৰ আগতীয়া ভাগত ইংলেণ্ড আৰু পশ্চিম ইয়ুৰোপত হৈ থকা এই সকলোবিলাক বিৰাট পৰিবৰ্ত্তনৰ বিষয়ে তাৰ ৰজা আৰু সম্ৰাটসকলৰ মনত স্পষ্ট

ধাৰণা নহৈছিল। নতুন বিবিলাক শক্তিৰ উদ্ভৱ হৈছিল, সেইবিলাকৰ প্ৰাধান্য তেওঁলোকে উপলব্ধি নকৰিছিল। নেপোলিয়নক একেবাৰে শীতৰ কৰাৰ পিছত এই শাসকবিলাকৰ মূৰতেই এটা চিন্তা হৈছিল কেনেকৈ তেওঁলোকক আৰু তেওঁলোকৰ গোষ্ঠীটোক চিৰদিনৰ কাৰণে ৰক্ষা কৰি স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ কাৰণে পৃথিৱীখন নিৰাপদ কৰিব পাৰি। ফৰাচী বিপ্লৱ আৰু নেপোলিয়নৰ পৰা পোৱা ভয়ঙ্কৰ ভয়ৰ ভাৱ তেতিয়াও তেওঁলোকৰ মনৰ পৰা সম্পূৰ্ণ শীতৰ হোৱা নাছিল, সেই কাৰণে তেওঁলোকে পুনৰ বিপদত পৰিব খুজিছিল। আৰু এখন চিঠিত মই তোমাক কৈছোঁ যে 'ৰজাৰ ঐশ্বৰিক স্বত্ব' ৰক্ষা কৰিবলৈ তেওঁলোকে যিহকে কৰিবলৈ ভাল পাইছিল তাকে কৰিবলৈ আৰু জনসাধাৰণক মূৰ দাঙি উঠাত বাধা দিবলৈ 'পবিত্ৰমিত্ৰতা' আদিৰে পৰস্পৰৰ মাজত মিত্ৰতা স্থাপন কৰিছিল। এই কাৰণে স্বেচ্ছাচাৰী ৰাজতন্ত্ৰই আগেয়ে সবলে কৰাৰ দৰে ধৰ্মৰ লগত হাত মিলাইছিল। ৰুচিয়াৰ জাৰ আলেকজেণ্ডাৰে এনেবিলাক মিত্ৰতা স্থাপনত আগ ভাগ লৈছিল। উদ্যোগ-পদ্ধতি নাইবা নতুন উদ্যমৰ ছাঁটোৱেই তেওঁৰ দেশত পৰাগৈ নাছিল আৰু ৰুচিয়া মধ্যযুগীয়া আৰু অতি অনুন্নত অৱস্থাত আছিল। কেইখনমান ডাঙৰ নগৰ আছিল, বাণিজ্যৰ অতি কম উন্নয়ন হৈছিল, আনকি হস্তশিল্পবিলাকো উন্নত অৱস্থাত নাছিল। স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ অবাধিত-ভাৱে সমৃদ্ধি হৈছিল। ইয়ুৰোপৰ আনবিলাক দেশৰ অৱস্থা বেলেগ আছিল। পশ্চিমৰ ফাললৈ আগুৱাই গ'লে মধ্যবিত্তৰ শ্ৰেণীবিলাক ক্ৰমে বেছিকৈ চকুত পৰিব। তোমাক আগতে কৈছোঁ যে ইংলেণ্ডত স্বেচ্ছাচাৰী ৰাজতন্ত্ৰ নাছিল। পাৰ্লামেণ্টে ৰজাক নিয়ন্ত্ৰিত কৰি ৰাখিছিল, কিন্তু পাৰ্লামেণ্টখনত এমুঠি ধনী মানুহৰ আধিপত্য আছিল। ৰুচিয়াৰ বিভিন্ন ভাগৰ স্বেচ্ছাচাৰী শাসক আৰু ইংলেণ্ডত শাসন চলোৱা আঢ্যুতীয়া শ্ৰেণীটোৰ মাজত বহুতো পাৰ্থক্য আছিল। কিন্তু দুয়ো দেশৰে শাসকসকলৰ এটা কথাত মিল আছিল—সেইটো আছিল জনসাধাৰণলৈ আৰু বিপ্লৱলৈ ভয়।

এইদৰে ইয়ুৰোপৰ সকলো ভাগতে প্ৰতিক্ৰিয়াৰ জয় হৈছিল আৰু উদাৰ ভাৱ থকা সকলোবিলাক বিষয়কে নিৰ্মমভাৱে দমন কৰা হৈছিল। ১৮১৫ খ্ৰীঃত ভিয়েনাৰ 'কংগ্ৰেছ'ৰ সিদ্ধান্ত মতে বহুতো জাতিক, যেনে ইটালী আৰু পূব ইয়ুৰোপক, বিদেশী শাসনৰ অধীন কৰা হৈছিল। সেই জাতিবিলাকক বলেৰে দমাই ৰাখিব লাগিছিল। কিন্তু এনে প্ৰকাৰৰ কাম বহুত দিন কৃতকাৰ্যভাৱে চলাই থাকিব নোৱাৰি, অশান্তি নোহোৱাকৈ নেথাকে। ই উতলা পানীৰ বাষ্প ওলাই থকা 'কেটলি' এটাৰ সাকবৰন হেঁচি ধৰিবলৈ চেষ্টা কৰাৰ নিচিনা। ইয়ুৰোপৰ উদ্দীপনা ৰূপ বাষ্প চি-চিয়াই আছিল আৰু মাজে মাজে ই জোৰেৰে বাহিৰলৈ ওলাইছিল। মোৰ আগৰ এখন চিঠিত মই তোমাক ১৮৩০ খ্ৰীঃৰ বিদ্ৰোহৰ কথা কৈছোঁ, সেই বিদ্ৰোহৰ ফলত ইয়ুৰোপত বিশেষকৈ ফ্ৰান্সত বহুতো পৰিবৰ্ত্তন ঘটিছিল, ফ্ৰান্সত বুৰবনবিলাকক চিৰদিনৰ বাবে খেদি পঠিওৱা হৈছিল। এই বিদ্ৰোহ-বিলাকে ৰজা আৰু সম্ৰাটসকলক আৰু তেওঁলোকৰ মন্ত্ৰীবিলাকক মন বেছিকৈ ভয় খুৱাইছিল আৰু তেওঁলোকে জনসাধাৰণক বেছি উদ্যমেৰে দমন আৰু উৎপীড়ন কৰিছিল।

এই চিঠিবিলাকত আমি বিভিন্ন দেশত যুদ্ধ আৰু বিপ্লৱে ঘটোৱা জাতৰ পৰিবৰ্ত্তনবিলাকৰ কথা পাই আহিছোঁ। অতীতত যুদ্ধবিলাক কোনো কোনো সময়ত ধৰ্মৰ কাৰণে আৰু আন কোনো সময়ত ৰাজবংশবিলাকৰ কাৰণে হৈছিল; সঘনে এইবিলাক এটা জাতিয়ে আন এটা জাতিৰ ওপৰত কৰা ৰাজনৈতিক আক্ৰমণ আছিল। এই সকলোবিলাক কাৰণৰ অন্তৰালত সাধাৰণতে একোটা অৰ্থনৈতিক কাৰণো আছিল। এইদৰে মধ্য-এচিয়াৰ উপজাতিবিলাকে ইয়ুৰোপ আৰু এচিয়াত চলোৱা অতি সৰহ ভাগ আক্ৰমণ হৈছিল এই কাৰণে যে ভোকে তেওঁলোকক পশ্চিম ফাললৈ খেদি পঠিয়াইছিল। অৰ্থনৈতিক প্ৰগতিয়ে কোনো এটা লোক-সমষ্টিক নাইবা জাতিক সবল কৰি আনৰপৰা সুযোগ লব পৰা কৰে। তোমাক মই আগতে দেখুৱাইছোঁ যে আনকি ইয়ুৰোপৰ ধৰ্মযুদ্ধ নাম পোৱা যুদ্ধ-বিলাকৰো পটভূমি অৰ্থনৈতিক আছিল। আধুনিক কালৰ ওচৰ চপাৰ লগে লগে আমি দেখিবলৈ পাওঁ যে ধৰ্মযুদ্ধ আৰু ৰাজবংশৰ মাজত লগা যুদ্ধৰ অন্ত পৰিছে। অৱশ্যে যুদ্ধৰ অন্ত পৰা নাই। দুৰ্ভাগ্যক্ৰমে ই বেছি অনিষ্টকাৰী হৈছে। কিন্তু ইয়াৰ কাৰণবিলাক এতিয়া দেখ্‌দেখ্‌কৈ ৰাজনৈতিক আৰু অৰ্থনৈতিক হৈছে। ৰাজনৈতিক কাৰণবিলাকৰ বাইকৈ জাতীয়তাবাদৰ লগত সম্পৰ্ক থাকে: এটা জাতিয়ে আন এটা জাতিক দমন কৰা নাইবা দুটা আক্ৰমণাত্মক জাতীয়তাবাদৰ সংঘৰ্ষ। আনকি এনে সংঘৰ্ষও প্ৰধানকৈ অৰ্থনৈতিক কাৰণত, যেনে উদ্যোগ-প্ৰধান দেশবিলাকৰ কেঁচা মাল আৰু বজাৰৰ দাবীৰ কাৰণে হয়। এইদৰে আমি দেখিবলৈ পাওঁ যে যুদ্ধত অৰ্থনৈতিক কাৰণ ক্ৰমে বেছিকৈ প্ৰধান হৈছে আৰু বাস্তৱতে বৰ্ত্তমান কালত এই কাৰণবিলাকে আন সকলো কথা তল পেলাইছে।

অতীত হৈ যোৱা কালছোৱাত বিপ্লৱবিলাকতো একে ৰকমৰ পৰিবৰ্ত্তন সংঘটিত হৈছে। প্ৰাচীন কালৰ বিপ্লৱবিলাক সাধাৰণতে ৰাজপ্ৰাসাদৰ বিপ্লৱ আছিল: শাসকগোষ্ঠীৰ পৰিয়ালৰ মানুহে পৰস্পৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল, যুদ্ধ কৰিছিল আৰু ইজনে সিজনক হত্যা কৰিছিল, নাইবা ৰাজ্যৰ মানুহে অত্যন্ত ক্ৰোধান্বিত হৈ বিদ্ৰোহ কৰি অত্যাচাৰী শাসক একোজনক বিনাশ কৰিছিল; নাইবা উচ্চাকাংক্ষী কোনো সৈনিকে সৈন্যবাহিনীৰ সহায়ত সিংহাসন অধিকাৰ কৰিছিল। ৰাজপ্ৰাসাদৰ এনে বহুত বিদ্ৰোহ অতি কম সংখ্যক মানুহৰ ভিতৰত হৈছিল। জনসাধাৰণৰ ওপৰত এইবিলাকৰ প্ৰভাৱ বেছিকৈ নপৰিছিল আৰু তেওঁলোকে কাচিৎহে এইবিলাকলৈ মন কৰিছিল। শাসকৰ পৰিবৰ্ত্তন হৈছিল, কিন্তু পদ্ধতি একেই হৈ আছিল আৰু জনসাধাৰণৰ জীৱন অপৰিৱৰ্ত্তিত হৈয়ে চলিছিল। অৱশ্যে অসৎ শাসকে হয়তো বৰ বেছিকৈ অত্যাচাৰ কৰিছিল আৰু তেনে শাসক সহ্য কৰিব নোৱাৰা হৈছিল; তেওঁলোকতকৈ ভাল শাসকবিলাক হয়তো বেছি সহ্য কৰিব পৰা হৈছিল। কিন্তু শাসকজন ভালেই হওক বা বেয়াই হওক; অকল ৰাজনৈতিক পৰিৱৰ্ত্তনেই সামাজিক আৰু অৰ্থনৈতিক অৱস্থাত সাধাৰণতে একো পৰিবৰ্ত্তন নেলাগিছিল। সামাজিক বিপ্লৱ নহৈছিল।

জাতীয় বিপ্লৱত বেছি গুৰুত্বপূৰ্ণ পৰিবৰ্ত্তন হয়। কোনো এটা জাতি আন এটা জাতিৰদ্বাৰা শাসিত হ'লে বিদেশী শাসক শ্ৰেণী এটাৰ আধিপত্য হয়। ই নানা প্ৰকাৰে অনিষ্টকৰ হয়, কাৰণ পৰাধীন দেশখন শোষণ কৰা হয় আৰু একন

দেশৰ উপকাৰৰ অৰ্থে নাছিল। এনে শাসনবৰ্গৰ উপকৃত হোৱা বিদেশী এক শ্ৰেণীৰ মানুহৰ উপকাৰৰ অৰ্থে। অৱশ্যে ই অধীনস্থ জাতিটোৰ মানুহৰ আত্ম-সন্মানত বৰ বেছিকৈ আঘাত দিয়ে। তদুপৰি অধীনস্থ দেশখনৰ উচ্চ শ্ৰেণীবিলাকে অৱস্থা-ভেদে ক্ষমতা আৰু কৰ্তৃত্বৰ যিবিলাক বিধৰ বাব পালেহেঁতেন, বিদেশী শাসক শ্ৰেণীয়ে তেওঁলোকক সেইবিলাক বিষয়বাববৰপৰা আঁতৰাই ৰাখে। সফল জাতীয় বিপ্লৱে অন্ততঃ বিদেশী মানুহবিলাকক শাসনবৰ্গৰ পৰা আঁতৰায় আৰু দেশত প্ৰাধান্য লাভ কৰা মানুহবিলাকে তৎক্ষণাৎ তেওঁলোকৰ ঠাই অধিকাৰ কৰে। এইদৰে শ্ৰেষ্ঠতৰ বিদেশী শ্ৰেণীটোক আঁতৰ কৰাৰ পৰা এই শ্ৰেণীবিলাকৰ বৰ বেছিকৈ লাভ হয়; দেশখনৰো সাধাৰণতে লাভ হয়, কাৰণ তেতিয়া দেশখন আন এখন দেশৰ স্বাৰ্থ পূৰণৰ অৰ্থে শাসন কৰা নহয়। জাতীয় বিপ্লৱৰ লগতে সামাজিক বিপ্লৱ নহলে সমাজৰ তলৰ খাপৰ মানুহবিলাকৰ বিশেষ লাভ নহয়।

সামাজিক বিপ্লৱ আন সকলো বিপ্লৱতকৈ বৰ বেছি বেলেগ; আনবিলাক বিপ্লৱে ওপৰে ওপৰে মাথোন অৱস্থাৰ পৰিবৰ্ত্তন কৰে। ৰাজনৈতিক বিপ্লৱো সামাজিক বিপ্লৱৰ অন্তৰ্ভুক্ত হয়। কিন্তু ই ৰাজনৈতিক বিপ্লৱতকৈ বহুত বেছি সুদূৰ প্ৰসাৰী, কাৰণ ই সমাজৰ গাঁথনিটো সলাই পেলায়। ইংলেণ্ডৰ যি বিপ্লৱে পাৰ্লামেণ্টক সৰ্বেসৰ্বা কৰিছিল, সেইটো অকল ৰাজনৈতিক বিপ্লৱেই নাছিল, আংশিকৰূপে ই সামাজিক বিপ্লৱো আছিল, কাৰণ ইয়াৰ পৰিণামত শাসনত অধিষ্ঠিতসকলৰ লগত বেছি ধনী 'বুৰ্জোৱা' (মধ্যবিত্ত) শ্ৰেণীৰ মানুহৰ সংযোগ হৈছিল। এইদৰে এই উচ্চতৰ মধ্যবিত্ত শ্ৰেণীটোৰ ৰাজনৈতিক আৰু সামাজিক বিষয়ত উদ্‌গতি হৈছিল; নিম্ন মধ্যবিত্তবিলাকৰ আৰু জনসাধাৰণৰ সাধাৰণতে একো পৰিবৰ্ত্তন নহ'ল। ফৰাচী বিপ্লৱটো ৰাজনৈতিক বিপ্লৱতকৈ বেছি ধৰণে সামাজিক বিপ্লৱহে আছিল। আমি আগতে বুজিব পাৰিছোঁ যে ই সমাজখনৰ সমগ্ৰ ব্যৱস্থাটোকে ওলট-পালট কৰিছিল আৰু কিছুকালৰ কাৰণে আনকি জন-সাধাৰণৰো প্ৰভাৱশালী হৈছিল। অৱশেষত ইয়াতো 'বুৰ্জোৱা' বিলাকৰ (মধ্যবিত্ত-বিলাকৰ) প্ৰাধান্য বাঢ়িছিল আৰু জনসাধাৰণে বিপ্লৱত তেওঁলোকৰ নিজৰ গুৰুত্ব-পূৰ্ণ কৰ্তব্য কৰাৰ পাচত তেওঁলোকক পুনৰ নিজৰ অৱস্থালৈ ওলোটাই পঠিওৱা হৈছিল; কিন্তু আচুতীয়া স্বত্ব ভোগ কৰি থকা সম্ভ্ৰান্ত লোকসকলক আঁতৰোৱা হৈছিল।

এই কথাটো অতি সহজতে বুজিব পাৰি যে এনে সামাজিক বিপ্লৱবিলাক অকল ৰাজনৈতিক বিপ্লৱতকৈ বহুত বেছি সুদূৰ প্ৰসাৰী আৰু সামাজিক অৱস্থাৰ লগত সেইবিলাকৰ ঘনিষ্ঠ সম্পৰ্ক থাকে। উচ্চাকাংক্ষী বা অত্যুৎসাহী লোক এজনে নাইবা লোকসমষ্টি একোটাই সামাজিক বিপ্লৱ এটা ঘটাব নোৱাৰে, যদি জন-সাধাৰণৰ তাৰ কাৰণে সাজু হোৱা অৱস্থা নেথাকে। তেওঁলোক সাজু হোৱাৰ কথা কওঁতে মই তাৰ পৰা ইয়াকে বুজাব খোজা নাই যে তেওঁলোকক সাজু হবলৈ কোৱাৰ পাচত তেওঁলোক সজ্ঞানে সাজু হয়। মই বুজাব খুজিছোঁ যে অৰ্থনৈতিক আৰু সামাজিক অৱস্থা এনে হয় যে তেওঁলোকৰ কাৰণে জীৱনটো অসহনীয় হোৱা হয় আৰু এনে এটা পৰিবৰ্ত্তনৰ বাহিৰে তেওঁলোকে দুখ নিবাৰণৰ আন কোনো উপায় বা ব্যৱস্থা চিনিব নোৱাৰে। প্ৰকৃতপক্ষে অতীতত বহুত

যুগ ধৰি বিৰাট সংখ্যক মানুহৰ জীৱন এনে বোজা হৈ আছে আৰু তেওঁলোকে যে কেনেকৈ সহি আছে ভাবিলে আচৰিত হব লাগে। কোনো কোনো সময়ত তেওঁলোকে সকলো বন্ধন ছিঙি বিদ্ৰোহ কৰিছিল, যাইকৈ ১৩৫৮ খ্ৰীঃত ফৰাচী কৃষকবিলাকে কৰা বিদ্ৰোহৰ নিচিনা কৃষকবিলাকৰ বিদ্ৰোহ হৈছিল আৰু তেওঁলোকে শক্তত বলিয়াৰ দৰে হৈ য'তে যিহকে পাইছিল সেই সকলোবিলাক ধ্বংস কৰিছিল। কিন্তু এই মানুহবিলাক সমাজ-ব্যৱস্থা পৰিবৰ্ত্তন কৰাৰ বিষয়ে সচেতন নাছিল। পিচে তেওঁলোকৰ এনে অজ্ঞতা সত্বেও অতীত কালত প্ৰাচীন ৰোমত, মধ্যযুগৰ ইয়ুৰোপত, ভাৰতবৰ্ষত আৰু চীনত অনেক বাৰ প্ৰচলিত সমাজ-ব্যৱস্থা ধ্বংস হৈছিল আৰু সেইবিলাকৰ কাৰণে বহুত সাম্ৰাজ্যৰ পতন হৈছিল।

অতীত কালত সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্ত্তনবিলাক ধীৰে ধীৰে হৈছিল আৰু বহুকাল উৎপাদন, বিতৰণ আৰু পৰিবহনৰ পদ্ধতিবিলাক বহুত পৰিমাণে একে হৈ আছিল। সেই কাৰণে মানুহবিলাকে পৰিবৰ্ত্তনৰ ক্ৰম দেখা নাপাই ভাবিছিল যে প্ৰাচীন ব্যৱস্থা চিৰস্থায়ী আৰু অপৰিবৰ্ত্তনীয়। ধৰ্মই এই ব্যৱস্থাত আৰু ইয়াৰ আনুসঙ্গিক ৰীতি আৰু বিশ্বাসবিলাকত ঐশ্বৰিক প্ৰভাৱ আৰোপ কৰিছিল। মানুহৰ ইয়াত এনে বিশ্বাস হৈছিল যে তেওঁলোকে ইয়াক পৰিবৰ্ত্তন কৰাৰ কথা কেতিয়াও নেভাবিছিল। আনকি, যেতিয়া অৱস্থা বৰকৈ পৰিবৰ্তিত হোৱাৰ কাৰণে ব্যৱস্থাটো দেখদেখকৈ অপ্ৰযোজ্য হৈছিল, তেতিয়াও তাক পৰিবৰ্ত্তন কৰাৰ কথা ভবা নহৈছিল। শিল্প-বিপ্লৱ আৰু পৰিবহনৰ পদ্ধতিত বিৰাট পৰিবৰ্ত্তন হোৱাৰ লগে লগে সামাজিক পৰিবৰ্ত্তন বহুতো পৰিমাণে বেছি খৰ হৈছিল। নতুন কিছুমান শ্ৰেণী প্ৰাধান্য লাভ কৰি সম্পত্তিশালী হৈছিল। উদ্যোগত কাম কৰা বনুৱাৰ এটা নতুন শ্ৰেণীৰ অভ্যুদয় হৈছিল, এওঁলোক কাৰিকৰ আৰু খেতি-পথাৰত কাম কৰা মানুহবিলাকতকৈ বৰ বেলেগ আছিল। এই সকলোবিলাকৰ কাৰণে নতুন এটা অৰ্থনৈতিক ব্যৱস্থাৰ আৰু ৰাজনৈতিক পৰিবৰ্ত্তনৰ আৱশ্যক হৈছিল। পশ্চিম ইয়ুৰোপ আচৰিত ৰকমে খাপ নোখোৱা এটা অৱস্থাত আছিল। বিজ্ঞ সমাজত যেতিয়াই প্ৰয়োজনীয় পৰিবৰ্ত্তনৰ আৱশ্যক হয়, তেতিয়াই তেনে পৰিবৰ্ত্তন সাধি তাৰপৰা সকলোখিনি উপকাৰ লোৱা হয়। কিন্তু সমাজবিলাক বিজ্ঞ নহয় আৰু সেইবিলাকে মুঠ একোটা সমষ্টি স্বৰূপে নেভাবে। ব্যক্তিয়ে তেওঁলোকৰ নিজৰ নিজৰ কথা ভাবে, মানুহৰ যিবিলাক শ্ৰেণীৰ একে স্বাৰ্থ হয়, সেইবিলাকেও তাকে কৰে। কোনো এটা শ্ৰেণীৰ যদি কোনো এখন সমাজত আধিপত্য হয়, তেনেহলে সেই অৱস্থাতে থাকি তাৰ তলত থকা শ্ৰেণীবিলাকক শোষণ কৰি তাৰপৰা লাভ কৰিব খোজে। শ্ৰেষ্ঠ জ্ঞান আৰু বেছি ভাল উপায় হৈছে ব্যক্তি যিখন সমাজৰ, সেই সমগ্ৰ সমাজখনৰ উপকাৰ সধা। কিন্তু ক্ষমতাত অধিষ্ঠিত ব্যক্তি বা শ্ৰেণীয়ে নিজৰ অধিকাৰতে লাগি থাকিব খোজে। এনে কৰাৰ আটাইতকৈ সহজ উপায় হৈছে আনবিলাক মানুহ আৰু শ্ৰেণীৰ মনত বিশ্বাস জন্মোৱা। প্ৰচলিত সমাজ-ব্যৱস্থাই [illegible] স্বৰূপে আটাইতকৈ ভাল। মানুহৰ মনত এই বিশ্বাসটোৰ স্নুদৃঢ় শিপা বহুৱাৰ কাৰণে ধৰ্মক তাৰ ভিতৰলৈ অনা হয়, শিক্ষাকো একে শিকনি দিবলৈ লগোৱা হয়। তাৰ ফলত অৱশেষত আচৰিত হবলগীয়াকৈ প্ৰত্যেক মানুহেই অতি সম্পূৰ্ণভাৱে ইয়াক বিশ্বাস কৰে আৰু কোনেও ইয়াক পৰিবৰ্ত্তন কৰাৰ কথা নাভাবে। আনকি, যিবিলাক

মানুহে এই ব্যৱস্থাৰ পৰা কষ্ট ভোগে, তেওঁলোকেও বাস্তৱতে বিশ্বাস কৰে যে এই ব্যৱস্থা চলি থকা, তেওঁলোক পেট-ভুকু খাই অনাহাৰে থকা আৰু আনবিলাকৰ প্ৰাচুৰ্য্যৰ মাজত জীৱন চলোৱা উচিত হৈছে।

এইদৰে মানুহৰ মনত ধাৰণা হয় যে অপৰিবৰ্ত্তনীয় এটা সমাজ ব্যৱস্থা আছে আৰু এই ব্যৱস্থাত যদি সংখ্যাগৰিষ্ঠ মানুহে কষ্ট ভোগে, তেনেহলে তাৰ বাবে কোনো অপৰাধী নহয়। এইটো তেওঁলোকৰ নিজৰ দোষ, তেওঁলোকৰ "কিচমৎ" অৰ্থাৎ ভাগ্য, এয়া তেওঁলোকৰ অতীতৰ পাপৰ শাস্তি। সমাজ সদায় ৰক্ষণশীল আৰু ই পৰিবৰ্ত্তন ভাল নেপায়। ই বিচাৰে গতানুগতিক পদ্ধতিত সোমাই পৰে, সেই পদ্ধতিত থাকিবলৈ ভাল পায় আৰু ইয়াৰ দৃঢ় বিশ্বাস হয় যে এই পদ্ধতিত থাকিবলৈকে ইয়াৰ সৃষ্টি হৈছিল। এই ভাব ইমান প্ৰবল হয় যে যিবিলাক ব্যক্তিয়ে সমাজৰ অৱস্থা উন্নত কৰিবৰ অৰ্থে গতানুগতিক পদ্ধতিটোৰপৰা ওলাই আহিবলৈ কয়, সমাজে তেওঁলোকক শাস্তি দিয়ে।

কিন্তু সামাজিক আৰু অৰ্থনৈতিক অৱস্থাই সমাজৰ প্ৰসন্ন আৰু চিন্তাহীন মানুহবিলাকৰ সমৰ্থনলৈ অপেক্ষা নকৰে। ই আগুৱাই গৈ থাকে, যদিও মানুহৰ ভাব-গতি একে হৈয়ে থাকে। এই আগপুৰণি ধাৰণাবিলাকৰ আৰু বাস্তৱতাৰ মাজৰ দূৰত্বটো বেছি হয় আৰু এই দূৰত্ব কমাই দুয়োটাৰ সংযোগৰ কাৰণে যদি কিবা এটা কৰা নহয়, তেনেহলে পদ্ধতিটোৱে কাট মেলে আৰু তেতিয়াই ভয়ানক বিপদ হয়। এয়ে প্ৰকৃত সামাজিক বিপ্লৱৰ সৃষ্টি কৰে। যদি অৱস্থা এনে হয়, তেনেহলে বিপ্লৱ অনিবাৰ্য হয়, যদিও পুৰণিকলীয়া ভাব-গতিৰ আক্ৰোশত ইয়াৰ সংগঠন পলম হব পাৰে। যদি এনেবিলাক অৱস্থা নেথাকে তেনেহ'লে কেইজন-মান ব্যক্তিয়ে যিমান বেছিকৈয়ে চেষ্টা কৰক লাগে, তেওঁলোকে বিপ্লৱ আনিব নোৱাৰে। যেতিয়া বিপ্লৱ আৰম্ভ হয়, তেতিয়া যিখন ঢাকনিয়ে জনসাধাৰণৰ চকুৰ আগৰপৰা প্ৰকৃত অৱস্থাটো লুকাই ৰাখিছিল, তাক আঁতৰ কৰা হয় আৰু অতি শীঘ্ৰে তেওঁলোকে অৱস্থাটো বুজিব পাৰে। গতানুগতিক পদ্ধতিৰপৰা বাহিৰ ওলোৱা মাত্ৰকে তেওঁলোক হবানুবাকৈ আগুৱাই যায়। এই কাৰণেই বিপ্লৱৰ যুগবিলাকত মানুহ ডাঙৰ গতিৰে আগুৱাই যায়। এইদৰে বিপ্লৱ ৰক্ষণশীলতা আৰু বাধাৰ অৱশ্যম্ভাবী ফল। অপৰিবৰ্ত্তনীয় সমাজ ব্যৱস্থা এটা আছে বুলি ভবাৰ নিৰ্বোধ ভুলটো সমাজে নকৰাকৈ থকা হলে ই সদায় পৰিবৰ্ত্তন হৈ থকা অৱস্থাৰ লগত মিলি চলা হলে সামাজিক বিপ্লৱ নহলহেঁতেন। তেতিয়া অবিৰতভাৱে ক্ৰমবিকাশ হ'লহেঁতেন।

বিপ্লৱৰ বিষয়ে মই অলপ বহলাই লিখিছোঁ, এনেকৈ লিখিবলৈ মই আগতে অলপো ভবা নাছিলোঁ। বিষয়টোৱে মোৰ বাপ হৈছে, কাৰণ বৰ্ত্তমান কালত পৃথিৱীৰ সকলো অংশতে খাপ নোখোৱা অৱস্থা চলা দেখা গৈছে আৰু বহুত ঠাইৰ সমাজ ব্যৱস্থা ভগি-ছিগি যোৱা যেন দেখা গৈছে। অতীতত এনে অৱস্থা সামাজিক বিপ্লৱৰ আগজাননী হৈ আহিছে, সেই কাৰণে মানুহৰ মনত স্বাভাৱিকতে এনে বিশ্বাস হৈছে যে আজি পৃথিৱীত ডাঙৰ পৰিবৰ্ত্তন ঘটাৰ আসন্নমুহূৰ্ত্ত আহিছে। বিদেশীৰ অধীনত থকা সকলো দেশৰ লগতে ভাৰতবৰ্ষত জাতীয়তাবাদ আৰু বিদেশী শাসনকাৰ্য্যৰ শোষণৰ মুক্ত কৰাৰ ইচ্ছা প্ৰবল হৈছে। কিন্তু জাতীয়তাবাদৰ এই

উপায়টো বহুতো পৰিমাণে শক্তিশালী শ্ৰেণীবিলাকৰ মাজত আবদ্ধ আছে। কৃষক, বনুৱা আৰু বিবিলাক মানুহে নিৰবিচ্ছিন্ন অভাৱৰ মাজত বাস কৰি আছে, তেওঁলোক স্বাভাৱিকতে অস্পষ্ট জাতীয়তাবাদী সপোনতকৈ তেওঁলোকৰ খালী পেট পুৰাবলৈ বেছি আগ্ৰহান্বিত হৈ আছে। জাতীয়তাবাদ বা সমাজে যদি তেওঁলোকৰ কাৰণে বেছি আহাৰ আৰু বেছি ভাল অৱস্থা নানে, তেনেহলে তেনে জাতীয়তাবাদ বা সমাজ তেওঁলোকৰ কাৰণে নিৰৰ্থক। সেই কাৰণে আজি ভাৰতবৰ্ষৰ সমস্যা অকল ৰাজনৈতিকেই নহয়, তাতোকৈ বেছি—ই সামাজিক সমস্যা।

আচল আলোচ্য বিষয়ৰপৰা আঁতৰি মই বিপ্লৱৰ বিষয়ে এনেকৈ দীঘলীয়া আলোচনা কৰিব লগা হৈছে এই কাৰণে যে যি ১৯শ শতাব্দীটোৰ কথা মই আলোচনা কৰিছিলোঁ, সেই শতাব্দীৰ ভিতৰত বহুতো বিদ্ৰোহ/আৰু অশান্তি হৈছিল। এই বিদ্ৰোহবিলাকৰ বহুতো' বিশেষকৈ শতাব্দীটোৰ প্ৰথমাৰ্দ্ধত হোৱা বিদ্ৰোহবিলাক, বিদেশী শাসনৰ বিৰুদ্ধে জাতীয়তাবাদী বিদ্ৰোহ আছিল। এই বিদ্ৰোহবিলাকৰ লগে লগে উদ্যোগীকৃত দেশবিলাকত সামাজিক বিদ্ৰোহৰ ভাব-বিলাকে বনুৱাৰ নতুন শ্ৰেণীটোৰ লগত তেওঁলোকৰ পুঁজিবাদী মালিকবিলাকৰ সংঘৰ্ষ প্ৰচাৰ কৰিবলৈ ধৰিছিল। মানুহবিলাকে সামাজিক বিপ্লৱৰ বিষয়ে চিন্তা কৰিবলৈ আৰু তৰ কাৰণে সজ্ঞানে কাম কৰিবলৈ ধৰিছিল।

১৮৪৮ খ্ৰীঃৰ বছৰটোক ইউৰোপৰ বিপ্লৱৰ বছৰ বোলা হয়। বহুতো দেশত বিদ্ৰোহ হৈছিল, কিছুমান বিদ্ৰোহ আংশিকভাৱে কৃতকাৰ্য হৈছিল, কিন্তু অতি সৰহ ভাগ অকৃতকাৰ্যতাত অন্ত হৈছিল। পোলেণ্ড, ইটালী, বোহেমিয়া আৰু হাঙ্গেৰীৰ বিদ্ৰোহৰ মূলত জাতীয়তাবাদ আছিল, কাৰণ এই জাতীয়তাবাদ দমন কৰি ৰখা হৈছিল। পোলেণ্ডৰ বিদ্ৰোহ ৰুছিয়াৰ বিৰুদ্ধে আৰু বোহেমিয়া আৰু উত্তৰ ইটালীৰ বিদ্ৰোহ অষ্ট্ৰিয়াৰ বিৰুদ্ধে আছিল। এই সকলো-বিলাক বিদ্ৰোহ দমন কৰা হৈছিল। অষ্ট্ৰিয়াৰ বিৰুদ্ধে হাঙ্গেৰীৰ বিদ্ৰোহটো আটাই-ইতকৈ বেছি বিশাল আছিল। লোজচ্ কচুথ ইয়াৰ নেতা আছিল, তেওঁ হাঙ্গেৰীৰ যুৱঞীত দেশপ্ৰেমী আৰু মুক্তি যোদ্ধা বুলি প্ৰখ্যাত হৈ আছে। দুবছৰ প্ৰতিৰোধ কৰি থকা সত্বেও এই বিদ্ৰোহো দমন কৰা হৈছিল। কেই বছৰমানৰ পাচত হাঙ্গেৰীয়ে ডিয়াক নামৰ আন এজন নেতাৰ অধীনত বেলেগ পদ্ধতিৰে যুদ্ধ চলাই কৃতকাৰ্যতা লাভ কৰিছিল। লক্ষ্য কৰিবলগীয়া কৌতূহলজনক কথা এই যে ডিয়াকৰ পদ্ধতি-বিলাক নিষ্ক্ৰিয় প্ৰতিৰোধৰ পদ্ধতি আছিল। ১৮৬৭ খ্ৰীঃত প্ৰায় সমতাৰ ভেটিত হাঙ্গেৰী আৰু অষ্ট্ৰিয়াক সংযুক্ত কৰি তাত হেপ্‌চবাৰ্গ ৰাজবংশৰ সম্ৰাট ফ্ৰেন্সিচ যোচে-ফৰ অধীনত যি ৰাজতন্ত্ৰ স্থাপিত কৰা হৈছিল তাক "দ্বৈত ৰাজতন্ত্ৰ" বোলা হৈছিল। আধা শতিকাৰ পাচত ডিয়াকৰ নিষ্ক্ৰিয় প্ৰতিৰোধৰ পদ্ধতিবিলাক ইংৰাজৰ বিৰুদ্ধে আইৰিছবিলাকৰ আৰ্হি হৈছিল। ১৯২০ খ্ৰীঃত ভাৰতবৰ্ষত যেতিয়া অসহযোগ আন্দোলন আৰম্ভ কৰা হৈছিল, তেতিয়া কিছুমান মানুহে ডিয়াকৰ সংগ্ৰামৰ কথা সুঁৱৰিছিল। কিন্তু এই দুটা পদ্ধতিৰ মাজত বহুতো পাৰ্থক্য আছিল।

১৮৪৮ খ্ৰীঃত জাৰ্মানীতো কেইবাটাও বিদ্ৰোহ হৈছিল, কিন্তু সেইবিলাক ডাঙৰ নাছিল; সেইবিলাকক দমন কৰি কিছুমান সংস্কাৰৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। ফ্ৰান্সত এটা বিৰাট পৰিবৰ্তন হৈছিল। ১৮৩০ খ্ৰীঃত বুৰবন ৰাজবংশৰ ৰজাক

যোৱাৰ পাচৰ পৰা যি কালছোৱাত লুই ফিলিপ ৰজা আছিল, সেই কালত তেওঁ অৰ্দ্ধ সাংবিধানিক ৰজা হৈ আছিল। ১৮৪৮ খ্রীঃৰ সময়ত জনসাধাৰণক তেওঁ আমুৱাইছিল, সেই কাৰণে তেওঁক সিংহাসন ত্যাগ কৰিবলৈ বাধ্য কৰা হৈছিল। এখন গণৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। এই খন দ্বিতীয় গণৰাষ্ট্ৰ, প্ৰথমখন ডাঙৰ বিপ্লৱটোৰ কালত হৈছিল। এই বিশৃংখলাৰ সুযোগ লৈ লুই বোনাপাৰ্ট নামে নেপোলিয়নৰ ভতিজাক এখনে পেৰিচলৈ গৈ স্বাধীনতাৰ পৰম বন্ধু বুলি দেখুৱাই তেওঁ গণৰাষ্ট্ৰখনৰ নিৰ্বাচিত ৰাষ্ট্ৰপতি হৈছিল। ক্ষমতা লাভৰ কাৰণে এইটো তেওঁৰ আগ্ৰহে আছিল। তেওঁ সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত হৈ সৈন্য বাহিনীত আধিপত্য লাভ কৰিছিল। তাৰ পাচত তেওঁ ১৮৫১ খ্রীঃত হঠাৎ সন্ত্ৰাস সৃষ্টি কৰি সংবিধানখন নাশ কৰিছিল। তেওঁৰ সৈন্যবিলাকৰ বিলাকৰ হতুৱাই পেৰিচৰ মানুহক আতঙ্কিত কৰি সেও কৰিছিল, বহুত মানুহ গুলিয়াই বধ কৰাইছিল, আৰু সদনৰ সদস্যবিলাকক ভয় খুৱাই সৈমান কৰিছিল। পিচৰ বছৰত তেওঁ নিজক সম্ৰাট বুলি ঘোষণা কৰি ৩য় নেপোলিয়ন নাম লৈছিল; কাৰণ, মহাবীৰ নেপোলিয়নৰ পুতেকজনে যদিও এইদৰে দ্বিতীয় গণৰাষ্ট্ৰখন চাৰি বছৰতকৈ অলপ বেচি কাল, দুটকৈ আৰু কুখ্যাতিৰে চলাৰ পাচত ইয়াৰ অন্ত পৰিছিল।

ইংলেণ্ডত ১৮৪৮ খ্রীঃত বিদ্ৰোহ নাছিল, কিন্তু তাত বহুত দুখ-কষ্ট আৰু অশান্তি হৈছিল। সেই দেশত যেতিয়া প্ৰকৃত দুখ-কষ্টৰ আশঙ্কা হয়, তেতিয়া সৈমান হৈ দুখ-কষ্টৰ হাত সাৰি থকাৰ এটা বিশেষ পদ্ধতি সেই দেশৰ আছে। সেই দেশৰ সংবিধানখন সহজে ভাঁজ দিব পৰা হোৱা কাৰণেই এই সম্পৰ্কত সহায় কৰে আৰু বহুকালৰ অভ্যাসৰ পৰা ইংৰাজসকলে আন উপায় নেথাকিলে আপোচ-মীমাংসা কৰিবলৈ শিকিছে। এইদৰে বেচি কঠোৰ সংবিধান থকা আৰু কমকৈ আপোচ-মীমাংসা কৰিব পৰা মানুহ থকা আন দেশবিলাকত যিবিলাক ডাঙৰ আৰু আকস্মিক পৰিবৰ্ত্তন সঘনে হৈ আছে, ইংৰাজবিলাকে তেনেবিলাক পৰিবৰ্ত্তনৰ হাত সাৰি থাকিব পাৰিছে। ১৮৩২ খ্রীঃত 'সংস্কাৰ আইনৰ খাঁচনি' এখনৰ সম্পৰ্কত ইংলেণ্ডত এটা ডাঙৰ আন্দোলন হৈছিল, এই খাঁচনিয়ে বহুতো মানুহক পাৰ্লামেণ্টলৈ সদস্য নিৰ্বাচনত ভোট দিয়াৰ অধিকাৰ দিছিল। আধুনিক আদৰ্শৰ বিচাৰত খাঁচনিখন নিৰ্জু আৰু জেঙা নথকা আছিল। মধ্যবিত্ত শ্ৰেণীৰ অতিৰিক্ত কিছুমান মানুহক মাথোন ভোট দিয়াৰ অধিকাৰ দিয়া হৈছিল; বনুৱাবিলাকৰ আৰু আন সৰহভাগ মানুহৰ তেতিয়াও ভোট নাছিল। সেই কালত পাৰ্লামেণ্টখন কম সংখ্যক ধনী মানুহৰ হাতত আছিল; তেওঁলোকে নিজৰ আত্মীয় ঘৰবিলাক হেকদাৰ ভয় কৰিছিল আৰু তেওঁলোকৰ যিবিলাক "বেনামী নগৰে" তেওঁলোকক নিজিয়ে সদনলৈ ('হাউচ অৱ কমন্স'লৈ) নিৰ্বাচিত কৰিছিল, সেইবিলাক হেকদাৰো ভয় কৰিছিল। সেই কাৰণে এই মানুহবিলাকে তেওঁলোকৰ সকলো শক্তি প্ৰয়োগ কৰি 'সংস্কাৰ আইনৰ খাঁচনি' খনৰ বিৰোধিতা কৰিছিল আৰু তেওঁলোকে কৈছিল যে খাঁচনিখন গৃহীত হলে ইংলেণ্ড ধ্বংস হব আৰু পৃথিৱীখন নাশ হব। তেতিয়া ইংলেণ্ডত এখন গৃহযুদ্ধ লগাৰ সম্ভাৱনা দেখা দিলে। কিন্তু বিৰোধী দলে জনতাৰ আন্দোলনত ভয় খাই খাঁচনিখন গ্ৰহণ কৰিবলৈ মান্তি হ'ল। কবলেও হয় যে ইংলেণ্ড অৱশ্যে ৰক্ষা পৰিছিল আৰু পাৰ্লামেণ্টত আগৰ দৰেই ধনী মানুহৰ

আধিপত্যই চলিছিল। সম্পত্তিশালী মধ্যবিত্তৰ শ্ৰেণী কেইটাই আৰু বিস্তৰ ক্ষমতা লাভ কৰিছিল।

১৮৩৮ খ্ৰী:ৰ সময়তে আন এটা তাণ্ডৱ আন্দোলনে দেশখনক বিচলিত কৰিছিল, ইয়াক 'চাৰ্টিষ্ট-আন্দোলন' বোলা হৈছিল, কাৰণ জনসাধাৰণৰ 'চাৰ্টাৰ' বা চনদ থকা এখন অসাধাৰণভাৱে দীঘলীয়া আবেদন-পত্ৰ পাৰ্লামেণ্টত দাখিল কৰিবলৈ প্ৰস্তাৱ কৰা হৈছিল—আৰু এই চনদত বিভিন্ন প্ৰকাৰৰ সংস্কাৰৰ দাবী কৰা হৈছিল। এই আন্দোলনে শাসকৰ শ্ৰেণীবিলাকক বৰকৈ ভয় খুওৱাৰ পাচত ইয়াক দমন কৰা হৈছিল। কাৰখানাত কাম কৰা মানুহবিলাকৰ মাজত বৰ বেছি পৰিমাণে দুৰ্নীতি আৰু অসন্তোষ চলিছিল। প্ৰায় সেই কালতে বনুৱাৰ আইন কেইখনমান কৰিবলৈ আৰম্ভ কৰা হৈছিল আৰু এইবিলাকে বনুৱাবিলাকৰ অৱস্থা অলপমান ভাল কৰিছিল। ইংলেণ্ডে সেই দেশৰ সংবৰ্দ্ধিত বাণিজ্যদ্বাৰা দ্ৰুত গতিৰে ধন ঘটিছিল আৰু সেই দেশ "পৃথিৱীৰ কাৰখানাৰ কেন্দ্ৰ' হৈছিল। এই লাভবিলাকৰ অতি সৰহভাগ কাৰখানাৰ মালিকবিলাকৰ হাতলৈ গৈছিল, কিন্তু অলপীয়া এটা ভাগ বনুৱাৰ হাতলৈকো সৰকিছিল। এই সকলোবিলাকে ১৮৪৮ খ্ৰী:ৰ বিদ্ৰোহ বন্ধ কৰাত সহায় কৰিছিল। কিন্তু সেই কালত ই ওচৰ চপা যেন লাগিছিল।

১৮৪৮ খ্ৰী:ৰ আলোচনা মই এতিয়াও শেষ কৰা নাই, সেই বছৰত ৰোমত কি হৈছিল, তাৰ কাহিনীটো কবলৈ এতিয়াও বাকী আছে। তাকে মই পিচৰখন চিঠিলৈ থোৱা উচিত হব।

১২৭

ইটালী ঐক্যবদ্ধ আৰু মুক্ত এটা জাতিত পৰিণত হয়

৩০ জানুৱাৰী, ১৯৩৩
বসন্ত পঞ্চমী

মোৰ ১৮৪৮খ্ৰী:ৰ বিৱৰণীত ইটালীৰ কাহিনীটো শেষতে থৈছিলোঁ। ১৮৪৮ খ্ৰী:ৰ বছৰটোৰ সকলো উত্তেজনামূলক ঘটনাৰ ভিতৰত ৰোমৰ বীৰত্বপূৰ্ণ সংগ্ৰামটো আটাইতকৈ বেছি মনোমোহা।

নেপোলিয়নৰ সময়ৰ পূৰ্বে ইটালীখন কিছুমান সৰু সৰু ৰাজ্য আৰু নগণ্য ৰজা থকা দেশ আছিল। নেপোলিয়নে অলপদিনৰ কাৰণে ইয়াক ঐক্যবদ্ধ কৰিছিল। নেপোলিয়নৰ পাচত ইয়াৰ পুনৰ আগৰ অৱস্থা হৈছিল, আন কি, তাতোকৈ বেছি বেয়া হৈছিল। বিজয়ী মিত্ৰশক্তিয়ে ১৮১৫খ্ৰী:ত ভিয়েনাৰ 'কংগ্ৰেছ'ত বহি বিবেচনাৰে দেশখন তেওঁলোকৰ মাজতে ভগাই লৈছিল। অষ্ট্ৰীয়াই ভেনিচ আৰু তাৰ চাৰিও কাষে থকা বহুতো অঞ্চল লৈছিল, অষ্ট্ৰীয়াৰ অনেক ৰাজকুমাৰক তেওঁলোকে বাছি লোৱা অঞ্চলবিলাক দিয়া হৈছিল; পোপ, ৰোম আৰু তাৰ সংলগ্ন অঞ্চলবিলাকলৈ যোৱাত সেইবিলাকৰ নাম পোপৰ ৰাজ্য হৈছিল, নেপোল্‌চ্ আৰু দক্ষিণ-ফালৰ অঞ্চলটো মিলি হোৱা দুখন চিচিলিৰ ৰাজ্য বুৰ্বন ৰজা এজনৰ অধীনস্থ হৈছিল; ফ্ৰান্সৰ সীমান্তৰ ওচৰৰ উত্তৰ-পশ্চিম ফালৰ পিয়েডমণ্ট আৰু চাৰ্ডিনিয়াত এজন ৰজা হৈছিল। পিয়েডমণ্টৰ ৰজাজনৰ বাহিৰে এই সকলোবিলাক আন তুচ্ছ ৰজা আৰু দলপতিবিলাকে অতি স্বেচ্ছাচাৰীভাৱে শাসন চলাইছিল, তেওঁলোকে নাইবা আনবিলাকে নেপোলিয়নৰ আবিৰ্ভাৱৰ আগত তেওঁলোকৰ প্ৰজাবিলাকক বিষম উৎপীড়ন কৰিছিল, এতিয়া তেওঁলোকে আগতকৈ বেছি উৎপীড়ন কৰিছিল। কিন্তু নেপোলিয়নৰ আগমনে দেশখন আলোড়িত কৰিছিল আৰু দেশৰ যুৱকবিলাকক মুক্ত আৰু ঐক্যবদ্ধ ইটালীৰ কল্পনাৰে উদ্দীপ্ত কৰিছিল। শাসকবিলাকৰ উৎপীড়নৰ সত্বেও নাইবা এনে উৎপীড়নৰ কাৰণে বহুতো সৰুসুৰা বিদ্ৰোহ হৈছিল আৰু গুপ্ত সমিতি স্থাপিত হৈছিল।

শীঘ্ৰে এজন উৎসাহী যুৱকৰ উদয় হৈছিল আৰু তেওঁক মুক্তিৰ আন্দোলনৰ নেতা বুলি স্বীকাৰ কৰি লোৱা হৈছিল। এই যুৱকজন আছিল ইটালীৰ জাতীয়তাবাদৰ পথ প্ৰদৰ্শক গিউচেপ মেজিনি। ১৮৩১ খ্ৰী:ত তেওঁ ইটালীৰ গণৰাষ্ট্ৰ এখন স্থাপনৰ উদ্দেশ্যে 'জিওভানে ইটালীয়া'—যুৱা ইটালী—নামে এখন সমাজ প্ৰতিষ্ঠা কৰিছিল। বহুত বছৰ তেওঁ ইটালীত এই উদ্দেশ্যে কাম কৰিছিল আৰু তেওঁক


১৮১৫ সনের ইটালী
লম্বার্ডি ভেনিসিয়া
ওটোমান সাম্রাজ্য
পারমা
লুকা
টাসকানি
কর্সিকা
(ফরাসী)
•রোম
সার্ডিনিয়া রাজ্য
বর্তমান ইটালীর সীমারেখা

নিৰ্বাসিত কৰা হৈছিল, নহলে তেওঁৰ জীৱনৰ সংশয় হৈছিল। তেওঁ নিজৰ বহুতো ৰচনা জাতীয়তাবাদৰ সাহিত্যত শ্ৰেষ্ঠ আদৰ্শ সাহিত্য হৈছিল। ১৮৪৮ খ্ৰীঃত যেতিয়া উত্তৰ ইটালীৰ সকলো ঠাইতে বিদ্ৰোহ আৰম্ভ হৈছিল, তেতিয়া তেওঁ সুযোগ বিচাৰি ৰোমলৈ গৈছিল। পোপক খেদাই তিনিজনৰ এটা 'কমিটী'ৰ অধীনত গণতন্ত্ৰ ঘোষণা কৰা হৈছিল, তেওঁলোকে তিনিজনক 'ট্ৰায়াম্ভিৰ্চ' বোলা হৈছিল, ৰোমৰ প্ৰাচীন যুগৰ ৰীতিৰপৰা এই শব্দটো লোৱা হৈছিল, মেজিনি এই তিনিজনৰ এজন আছিল। এই গণৰাজ্যখন চাৰিওফালৰপৰা আক্ৰান্ত হৈছিল, অষ্ট্ৰিয়ানবিলাকে, নেপোলচ্‌ৱাসীবিলাকে, আনকি ফৰাচীবিলাকেও পোপক প্ৰতিষ্ঠিত কৰিবৰ কাৰণে ইয়াক আক্ৰমণ কৰিছিল। ৰোমান গণৰাজ্যৰ কালৰ প্ৰধান যোদ্ধা আছিল গেৰিবল্ডি। তেওঁ অষ্ট্ৰিয়ানবিলাকৰ আক্ৰমণ ৰোধ কৰিছিল, নেপোলচৰ সৈন্য বাহিনীক পৰাজিত কৰিছিল, আনকি, ফৰাচীবিলাকৰো গতি ৰোধ কৰিছিল। এই সকলোবিলাক কাম কৰা হৈছিল স্বেচ্ছাসেৱকৰ সহায়ত, ৰোমৰ আটাইতকৈ সাহিয়াল আৰু শ্ৰেষ্ঠ যুৱকবিলাকে গণৰাজ্যখনৰ ৰক্ষাৰ কাৰণে তেওঁলোকৰ প্ৰাণ বিসৰ্জন কৰিছিল। অৱশেষত বীৰত্বপূৰ্ণ সংগ্ৰাম, চলোৱাৰ পাচত, ৰোমান গণৰাজ্যখন ফৰাচীৰ অধীন হৈছিল, তেতিয়া ফৰাচীবিলাকে পোপক পুনৰ প্ৰতিষ্ঠিত কৰিলে।

সংগ্ৰামৰ প্ৰথম পৰ্যায়টো এইদৰে শেষ হ'ল। মেজিনি আৰু গেৰিবল্ডিয়ে বিভিন্ন উপায়েৰে, প্ৰচাৰ কাৰ্যৰে আৰু পিচৰ তাণ্ডব চেষ্টাটোৰ কাৰণে সাজু হৈ তেওঁলোকৰ কাম চলাই আছিল। এই মানুহ দুজন পৰস্পৰ বৰ অমিল আছিল; এজন আছিল ভাবুক আৰু আদৰ্শবাদী, আনজন আছিল 'গৰিলা' যুদ্ধ চলোৱাত অসাধাৰণ প্ৰতিভা থকা যোদ্ধা। দুয়ো ইটালীৰ মুক্তি আৰু ঐক্যৰ প্ৰতি উন্মত্ত-ভাৱে অনুৰক্ত। পিচত এই তাণ্ডব খেলাখনত তৃতীয় এজন খেলুৱৈ প্ৰধান হৈছিল। তেওঁ আছিল পিয়েডমণ্টৰ ৰজা ভিক্টৰ এমানুৱেলৰ প্ৰধান মন্ত্ৰী কেভুৰ। তেওঁ ভিক্টৰ এমানুৱেলক ইটালীৰ ৰজা কৰাত বৰকৈ আগ্ৰহান্বিত আছিল। ইয়াৰ কাৰণ আন বিবিলাক তুচ্ছ ৰজা আছিল, তেওঁ-লোকৰ বহুতক দমন কৰি বশ মনাব লগা হৈছিল, সেই কাৰণে তেওঁ মেজিনি আৰু গেৰিবল্ডিৰ কাৰ্যকলাপৰ সুযোগ লৈছিল। তেওঁ নেপোলিয়ন ফ্ৰান্সৰ শাসক থকা কালত ফৰাচীবিলাকৰ লগত ষড়যন্ত্ৰ কৰি তেওঁলোকক তেওঁৰ পক্ষ অষ্ট্ৰিয়ানবিলাকৰ বিৰুদ্ধে এখন যুদ্ধত লিপ্ত কৰিছিল। এই ঘটনা হৈছিল ১৮৪৯ খ্ৰীঃত। ফৰাচীবিলাকে অষ্ট্ৰিয়ানবিলাকক যুদ্ধত পৰাস্ত কৰাত গেৰিবল্ডিয়ে এই পৰাজয়ৰ সুযোগ লৈ নেপোলচ্ আৰু চিচিলিৰ ৰজাৰ বিৰুদ্ধে তেওঁৰ নিজৰ কামৰপৰা এটা অসাধাৰণ অভিযান চলাইছিল। এইটোৱেই গেৰিবল্ডি আৰু তেওঁৰ এহেজাৰ 'ৰঙাকুৰ্তা' কামিজ পিন্ধা অনুচৰৰ বিখ্যাত অভিযান আছিল; তেওঁৰ অনুচৰবিলাকৰ সামৰিক প্ৰশিক্ষণ নাছিল, তেওঁলোকৰ উপযুক্ত অস্ত্ৰ আৰু সামগ্ৰীও নাছিল, তেওঁলোকেই তেওঁলোকৰ বিৰুদ্ধে থকা ভালদৰে প্ৰশিক্ষণ প্ৰাপ্ত সৈন্যবাহিনীৰ লগত যুদ্ধ কৰিছিল। শত্ৰু-সৈন্যৰ সংখ্যা এই এহেজাৰ ৰঙা কামিজ পিন্ধা সৈন্যতকৈ বহুত গুণে বেছি আছিল, কিন্তু তেওঁলোকৰ উৎসাহ আৰু জনসাধাৰণৰ ভক্তিয়েই তেওঁলোকক এটাৰ পাচত আনটোকৈ জয় লাভ কৰাইছিল। গেৰিবল্ডিৰ কাহিনী যুঁজি-কাটি গ'ল। তেওঁৰ সাফল্যত এনে বহু আছিল যে তেওঁ

ওচৰ চপাৰ লগে লগে শত্ৰুপক্ষৰ সৈন্যবাহিনী পলাই অদৃশ্য হৈছিল। তথাপি তেওঁৰ কাম কঠিন আছিল আৰু বহুতবাৰ গেৰিবল্ডি আৰু তেওঁৰ স্বেচ্ছাসেৱক-বিলাক পৰাজিত হোৱাৰ আৰু বিপদত পৰাৰ বৰ সম্ভাৱনা হৈছিল। কিন্তু বিপদলৈ ভ্ৰূক্ষেপ নকৰাকৈ চলোৱা সকলোবিলাক দুঃসাহসিক কামত সফলে হোৱাৰ হবে পৰাজয়ৰ মুহূৰ্ত্ততো ভাগ্যলক্ষ্মী তেওঁৰ প্ৰতি সুপ্ৰসন্না হৈ পৰাজয়ক বিজয়লৈ ৰূপান্তৰ কৰিছিল।

গেৰিবল্ডি আৰু তেওঁৰ এহেজাৰ অনুচৰ সাগৰ পাৰ হৈ চিচিলিত নামিছিল। তাৰ পৰা তেওঁলোকে ধীৰে ধীৰে যুদ্ধ চলাই ইটালীলৈ আগুৱাই গৈছিল। তেওঁ দক্ষিণ ইটালীৰ গাওঁবিলাকৰ মাজেদি যুদ্ধ-যাত্ৰা কৰি যাওতে স্বেচ্ছাসেৱকৰ কাৰণে আবেদন কৰি গৈছিল আৰু যি পুৰস্কাৰৰ তেওঁ আশা দিছিল, সি অসাধাৰণ আছিল। তেওঁ কৈছিল, "আহাঁ! আহাঁ! যি ঘৰত লোমাই থাকে, তেওঁ কাপুৰুষ। মই তোমালোকক ক্লান্তি, কষ্ট আৰু যুদ্ধৰ নিশ্চিত আশা দিওঁ। কিন্তু আমি বাহা কৰিছোঁ জয় লাভ কৰিবলৈ নাইবা মৰিবলৈ।" কৃতকাৰ্যতাই যি সুযোগ দিয়ে, আন একোৱে তেনে সুযোগ নিদিয়ে। গেৰিবল্ডিৰ প্ৰথম ভাগৰ সফলতাই ইটালী-য়ানবিলাকক জাতীয়তাবাদৰ উদ্দীপনা বেছি সতেজ কৰিছিল। চাৰিওফালৰপৰা স্বেচ্ছাসেৱকবিলাক আহিছিল আৰু তেওঁলোকে গেৰিবল্ডিৰ উদ্দীপনাপূৰ্ণ গান গাই গাই উত্তৰ ফাললৈ যুদ্ধযাত্ৰা কৰিছিল। গানটোৰ ভাঙনি এনে হয়:—

"সমাধি-ফলকবোৰ উন্মুক্ত হৈছে, দূৰনিৰপৰা মৃতকসকল আহিছে,
আমাৰ শ্বহীদসকলৰ প্ৰেতাত্মাবিলাক যুদ্ধৰ কাৰণে উঠি আহিছে,
তেওঁলোকৰ হাতত তৰোৱাল, মূৰত যশস্যাৰ মুকুট, তেওঁলোকৰ স্পন্দনহীন অন্তৰ এতিয়াও ইটালীৰ নামেৰে সমুজ্জ্বল।

আমাৰ দেশৰ সৈনিকসকল, আহা, তেওঁলোকৰ লগ লোৱা। আহাঁ, অনুগামী হোৱা।

আহাঁ, আমাৰ পতাকা উৰুৱা, আমাৰ ৰণ-গীত গাই আমাৰ সৈন্য বাহিনীক আগুৱাই নিয়া। তীখাৰ নিৰ্মম অস্ত্ৰ লৈ সকলো আহাঁ।
দূৰ হ, হেৰ বিদেশী, ইটালীয়াৰপৰা,
দূৰ হ আমাৰ ঘৰৰপৰা।
দূৰ হ ইটালীয়াৰ পৰা, হেৰ বিদেশী, দূৰ হ।"
জাতীয় সঙ্গীতবিলাক সকলো ঠাইতে কিমান যে একে।

কেভুৰে গেৰিবল্ডিৰ কৃতকাৰ্যতাবোৰৰ সুযোগ লৈছিল আৰু এই সকলোবিলাকৰ ফল হৈছিল এই যে ১৮৬১ খ্ৰীঃত পিয়েডমণ্টৰ ৰজা ভিক্টৰ এমানুৱেল ইটালীৰ ৰজা হৈছিল। তেতিয়াও ৰোম ফৰাচী সেনাৰ অধীনত আৰু ভেনিচ অষ্ট্ৰিয়াৰ অধীনত আছিল। দহ বছৰৰ ভিতৰত ভেনিচ আৰু ৰোম—এই দুয়ো ঠাই ইটালীৰ অৱশিষ্ট ভাগৰ লগ লাগিছিল, আৰু ৰোম ইটালীৰ ৰাজধানী হৈছিল। অৱশেষত ইটালী এটা ঐক্যবদ্ধ জাতি হৈছিল। কিন্তু মেজিনি সুখী নহৈছিল। তেওঁ গোটেই জীৱন গণতন্ত্ৰ আদৰ্শৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰিছিল, কিন্তু এতিয়া ইটালীখন মুঠতে পিয়েডমণ্টৰ ভিক্টৰ এমানুৱেলৰ ৰাজ্য হৈছিল। মুঠ কথা যে

নতুন ৰাজ্যখনৰ সাংবিধানিক ৰাজ্য হৈছিল আৰু এমানুৱেল ৰজা হোৱাৰ ঠিক পাছতে ইটালীৰ সংসদ (পাৰ্লামেণ্ট) এখন চুকিগত বহিছিল।

এইদৰে জাতি হিচাপে ইটালী পুনৰ ঐক্যবদ্ধ আৰু বিদেশী শাসনৰপৰা মুক্ত হৈছিল। মেজিনি, গেৰিবল্ডি আৰু কেভাৰ—এই তিনিজন লোকে এই কাম সংঘটিত কৰিছিল; সম্ভৱতঃ এই তিনিজনৰ কোনোবা এজন নোহোৱা হলে মুক্তি লাভ কৰোঁতে বেছি পলম হ'লহেঁতেন। ইংৰাজ কবি আৰু ঔপন্যাসিক মেৰেডিথে বহুত বছৰৰ পাছত কবিতা এটাত যি লিখিছিল, তাৰ ভাঙনি এনে হয়:—

"আমি যিবিলাকে ইটালীয়াক দুখকষ্টৰ দিনত দেখিছিলোঁ,
আৰু থিয় হওঁতেই মাটিত বাগৰাই পেলোৱা দেখিছিলোঁ
আকৌ এতিয়া আমি যিবিলাকে একালত হাল বাই খোৱা
পথাৰ এখন সময়ত উঠি সেউজী হোৱা পকা গমেৰে সুন্দৰ হোৱাৰ দৰে
ইটালীয়াক সম্পূৰ্ণ দানশীলা আৰু সুন্দৰী হোৱা দেখিছোঁ
আমি সেই কেইজন লোকৰ কথা ভাবোঁ
যি কেইজনে ইটালীয়াৰ দেহত প্ৰাণ-শক্তিৰ সঞ্চাৰ কৰিছিল:
কেভাৰ, মেজিনি, গেৰিবল্ডি—এই তিনিজন লোক,
তেওঁলোক আছিল ইটালীয়াৰ মগজু, আত্মা আৰু তৰোৱাল
তেওঁলোকে একেটা সমুজ্জ্বল লক্ষ্যৰে ধ্বংসকাৰী অনৈক্যৰপৰা
ইটালীয়াক মুক্ত কৰিছিল।"

মই তোমাক থাউকতে ইটালীৰ মুক্তি-সংগ্ৰামৰ কাহিনীটোৰ প্ৰধান কথা কেইটা কৈছোঁ। এই ক্ষুদ্ৰ বিৱৰণটো পঢ়োঁতে ইয়াক নিৰস বুৰঞ্জীৰ আন বেই লেই বিৱৰণ এটাৰ দৰেই তোমাৰ লাগিব। কিন্তু কেনেকৈ তুমি এই কাহিনীটো সজীৱ কৰি সংগ্ৰামটোৰ আনন্দ আৰু বীৰৰ দৰে তোমাৰ অন্তৰ পৰিপূৰ্ণ কৰিব পাৰা, সেই বিষয়ে মই তোমাক কওঁ। বহুত বছৰৰ আগতে মই স্কুলৰ ল'ৰা হৈ থাকোঁতে যেতিয়া ট্ৰেভেলিয়ানৰ 'গেৰিবল্ডি আৰু ইটালীৰ প্ৰতিষ্ঠা'—এই তিনিখন কিতাপ পঢ়িছিলোঁ, তেতিয়া অন্ততঃ মই তেনেকৈ অনুভৱ কৰিছিলোঁ।

ইটালীয়ানবিলাকে সংগ্ৰাম চলাই থকা কালত ইংৰাজবিলাকে গেৰিবল্ডি আৰু তেওঁৰ ৰঙা কামিজ পিন্ধা অনুচৰবিলাকৰ প্ৰতি সহানুভূতি দেখুৱাইছিল আৰু বহুতো ইংৰাজ কবিয়ে সংগ্ৰামটোৰ বিষয়ে উদ্দীপনাপূৰ্ণ কবিতা লিখিছিল। ইংৰাজবিলাকে তেওঁলোকৰ নিজৰ স্বাৰ্থ জড়িত নথাকিলে আন জাতিবিলাকৰ মুক্তি সংগ্ৰামত অতি সহজে যেনেকৈ সহানুভূতি দেখুৱায়, তাক দেখিলে আচৰিত হব লাগে। গ্ৰীচে মুক্তিৰ কাৰণে যুদ্ধ চলাওঁতে তেওঁলোকে তাকে কৰি বাইৰণ আৰু আন আন মানুহক পঠিয়াইছিল। ইটালীক তেওঁলোকে সকলো উত্তেজনা আৰু উৎসাহ দিছিল; কিন্তু তেওঁলোকৰ অতি ওচৰচুবুৰীয়া আয়াৰলেণ্ডত আৰু তেওঁলোকৰপৰা বহুত দূৰৈত থকা মিচৰ, ভাৰতবৰ্ষ আৰু আন আন ঠাইত তেওঁলোকৰ কৰ্মচাৰীবিলাকে 'মেচুচিন' বন্দুক আৰু ধ্বংসকাৰ্য চলাইছিল। চুইনবাৰ্ণ মেৰেডিথ আৰু এলিজাবেথ বেৰেট ব্ৰাউনিঙে সেই কালৰ ইটালীৰ বিষয়ে বহুতো মনোহৰ কবিতা লিখিছিল। মেৰেডিথে এই বিষয়ে কেইখনমান উপন্যাসো

লিখিছিল। যেতিয়া ইটালীৰ সংগ্ৰাম চলি আছিল আৰু সেই সংগ্ৰাম বহুত বাধা বিঘিনিৰ সন্মুখীন হৈছিল আৰু বহুত দেশদ্ৰোহীয়ে বিদেশী প্ৰভুৰ সেৱা কৰিছিল। সেই কালতে চুইনবাৰ্ণে 'তোমাৰ আগত থমক' নামৰ কবিতা এটা লিখিছিল; মই সেই কবিতাৰপৰা এটা অংশ তলত উদ্ধৃত কৰিছোঁ, তাৰ ভাঙনি এনে হয়:

"তোমালোকৰ প্ৰভুবিলাকৰ তোমালোকক দান কৰিবলৈ দানৰ বস্তু আছে,
মুক্তিৰ দান কৰিবলৈ দানৰ বস্তু নাই;
ইয়াৰ আশ্ৰয় স্থান বা বসতিস্থান নাই,
ইয়াৰ সীমা বা প্ৰতিবন্ধকতা নাই;
ই অনাহাৰত কষ্ট ভোগা ৰক্তাক্ত সৈন্যবাহিনীক
বিৰামহীন দ্ৰুত গতিৰে তেওঁলোকৰ জীৱন
ইয়াৰ সঁচৰ কাৰণে সিঁচিবলৈ আগলৈ ঠেলে,
যাতে তেওঁলোকৰ তেজই ইয়াৰ কাৰণে জাতি এটাৰ
পুনৰ সৃষ্টি কৰিব পাৰে।
যাতে তেওঁলোকৰ আত্মাই ইয়াৰ কাৰণে এটা নক্ষত্ৰক
পুনৰ জ্যোতিষ্মান কৰিব পাৰে।"

১২৮

জাৰ্মানীৰ অভ্যুত্থান

৩১ জানুৱাৰী, ১৯৩৩

আমাৰ আগৰখন চিঠিত আমি বৰ্তমান কালত ইয়ুৰোপৰ যিবিলাক ডাঙৰ জাতিৰ কথা ইমান ভালকৈ জানো, তেনে এটা জাতিৰ সংগঠনৰ বিষয়ে লক্ষ্য কৰিছিলোঁ। এতিয়া আমি আধুনিক কালৰ আন এটা ডাঙৰ জাতি জাৰ্মানীৰ সংগঠনৰ বিষয়ে লক্ষ্য কৰিম।

যদিও জাৰ্মান জাতিটোৰ মাজত একেটা ভাষা আৰু আন বহুতো লক্ষণ একে আছিল, তথাপি সেই জাতিটো সৰু-বৰ বহুতো ৰাজ্যত বিভক্ত আছিল। বহুত শ বছৰ হেপছবাৰ্গ ৰাজবংশৰ অধীনত অষ্ট্ৰিয়া প্ৰধান জাৰ্মান শক্তি আছিল। তাৰ পাচত প্ৰুছিয়াই প্ৰাধান্য লাভ কৰিছিল আৰু তেতিয়া এই দুই শক্তিৰ মাজত জাৰ্মান জাতিটোৰ নেতৃত্বৰ কাৰণে প্ৰতিদ্বন্দ্বিতা চলিছিল। নেপোলিয়নে এই দুয়ো শক্তিৰে বল ভাঙিছিল। ইয়াৰ ফলত জাৰ্মান জাতীয়তাবাদৰ বল বাঢ়িছিল আৰু ই চূড়ান্ত পৰাজয়ত সহায় কৰিছিল। এইদৰে ইটালী আৰু জাৰ্মানীত নেপোলিয়নে তেওঁৰ অজ্ঞাতে আৰু তেওঁ ইচ্ছা নকৰা সত্বেও জাতীয়তাবাদৰ উদ্যম আৰু মুক্তিৰ ভাবগতিত প্ৰেৰণা যোগাইছিল। নেপোলিয়নৰ যুগৰ অগ্ৰণী জাতীয়তাবাদী লোকসকলৰ ভিতৰত এজন আছিল ফিক্‌টে। তেওঁ দাৰ্শনিক কিন্তু উগ্ৰ দেশপ্ৰেমী আছিল আৰু তেওঁৰ জাতিটোক জাগ্ৰত কৰিবলৈ অনেক কাম কৰিছিল।

নেপোলিয়নৰ পাচত আধা শতাব্দী সৰু জাৰ্মান ৰাজ্যবিলাক চলি আছিল। মুক্তিৰ কাৰণে বহুত বাৰ চেষ্টা কৰা হৈছিল, কিন্তু সেই চেষ্টাবিলাক সফল নহৈছিল, কাৰণ অষ্ট্ৰিয়ান আৰু প্ৰুছিয়ান এই দুই ভাগৰে শাসকবিলাকে আৰু চৰকাৰে এই জাতিটোৰ নেতা হৈ থাকিব খুজিছিল। ইতিমধ্যে উদাৰ ভাবৰ লোকসকলক বৰ বেছিকৈ উৎপীড়ন কৰা হৈছিল, আৰু ১৮৩০ খ্ৰীঃত আৰু ১৮৪৮ খ্ৰীঃত বিদ্ৰোহ হৈছিল, কিন্তু এইবোৰ দমন কৰে। জনসাধাৰণক শান্ত কৰিবৰ কাৰণে কিছুমান তুচ্ছ সংস্কাৰ কৰা হৈছিল।

ইংলেণ্ডৰ দৰে জাৰ্মানীৰ কিছুমান অঞ্চলত কয়লা আৰু লোহাৰ খনি আছিল, এইদৰে উদ্যোগিক উন্নতিৰ অনুকূল অৱস্থা তাত আছিল। জাৰ্মানীৰ দাৰ্শনিক, বৈজ্ঞানিক আৰু যোদ্ধাৰ কাৰণেও এই দেশ প্ৰখ্যাত আছিল। তাত কাৰখানা

স্থাপন কৰা হৈছিল আৰু উদ্যোগবিলাকত কাম কৰা বনুৱাবিলাকৰ শ্ৰেণী এটাৰ সংবৰ্ধন হৈছিল।

এই অৱস্থাত শতাব্দীটোৰ প্ৰায় মাজ ভাগত প্ৰুচিয়াত এজন মানুহৰ আৱিৰ্ভাৱ হ'ল, তেওঁ বহুত বছৰ অকল জাৰ্মাণীতে নহয়, ইয়ুৰোপৰ ৰাজনীতিতো আধিপত্য কৰিছিল। এই লোকজন আছিল অটো ভন বিচমাৰ্ক, তেওঁ এজন 'জাংকাৰ' অৰ্থাৎ প্ৰুচিয়াৰ জমিদাৰ আছিল। ৱাটাৰলুৰ যুদ্ধৰ বছৰত জন্ম লাভ কৰা এই লোকজনে বহুত বছৰ বিভিন্ন ৰাজসভাত কূটনৈতিক বিষয়া স্বৰূপে কাম কৰিছিল। ১৮৬২ খ্ৰীঃত তেওঁ প্ৰুচিয়াৰ প্ৰধানমন্ত্ৰী হ'ল আৰু তাৰ লগে লগে তেওঁ নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিলে। তেওঁ প্ৰধানমন্ত্ৰী হোৱাৰ এসপ্তাহৰ ভিতৰতে তেওঁৰ এটা ভাষণত কৈছিল, "যুগৰ ডাঙৰ প্ৰশ্নবিলাকৰ সমাধান কৰা হব বক্তৃতা নাইবা সংখ্যাগৰিষ্ঠৰদ্বাৰা নহয়, লোহাৰ সঁজুলি আৰু ৰক্তপাতৰদ্বাৰাহে।"

ৰক্তপাত আৰু লোহাৰ সঁজুলি। এই শব্দকেইটা প্ৰখ্যাত হৈছিল আৰু তেওঁ দূৰদৰ্শিতা আৰু নিষ্ঠুৰতাৰ যি নীতি অনুসৰণ কৰিছিল, এই শব্দকেইটাই সেই নীতিটো নিখুঁতকৈ প্ৰকাশ কৰিছিল। তেওঁ গণতন্ত্ৰক ঘিণ কৰিছিল আৰু সংসদবিলাক আৰু জনসাধাৰণৰ সন্মিলনবিলাকলৈ অতি কম শ্ৰদ্ধা দেখুৱাইছিল। তেওঁক অতীত যুগৰ স্মৃতিচিন যেন দেখা গৈছিল, কিন্তু তেওঁৰ সামৰ্থ্য আৰু সংকল্প এনে আছিল যে তেওঁ বৰ্তমানক তেওঁৰ ইচ্ছা-শক্তিৰ ওচৰত সেও কৰিছিল। তেওঁ আধুনিক জাৰ্মাণীৰ জন্মদাতা আৰু ঊনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধ গঢ় দিওঁতা আছিল। দাৰ্শনিক আৰু বৈজ্ঞানিকৰ জাৰ্মাণী দৃশ্যপটৰ অন্তৰাললৈ আঁতৰি গৈছিল আৰু ৰক্তপাত আৰু লোহাৰ সঁজুলিৰ নতুন জাৰ্মাণীয়ে সামৰিক দক্ষতাৰ জাৰ্মাণীয়ে ইয়ুৰোপত আধিপত্য কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ দিনৰ এজন বিখ্যাত জাৰ্মাণে কৈছিল, "বিচমাৰ্কে জাৰ্মাণীক মহৎ আৰু জাৰ্মাণবিলাকক ক্ষুদ্ৰ কৰিছে।" ইয়ুৰোপত আৰু আন্তৰ্জাতিক বিষয়ত জাৰ্মাণীক এটা শ্ৰেষ্ঠ শক্তি কৰাৰ তেওঁৰ নীতিয়ে জাৰ্মাণবিলাকক সন্তুষ্ট কৰিছিল আৰু ক্ৰমবৰ্দ্ধমান জাতীয় গৌৰৱৰ মোহিনী শক্তিয়ে তেওঁলোকক তেওঁৰ সকলো প্ৰকাৰৰ উৎপীড়ন সহি থাকিব পৰা কৰিছিল।

কি কৰা উচিত তাৰ স্পষ্ট ভাব মনত লৈ আৰু সাৱধানে কৰা এটা পৰিকল্পনা হাতত লৈ বিচমাৰ্ক ক্ষমতাত অধিষ্ঠিত হৈছিল। তেওঁ দৃঢ় সংকল্পৰে এটা পৰিকল্পনা ৰূপায়িত কৰাত নেৰানেপেৰাকৈ লাগি থাকি আচৰিত ৰকমে কৃতকাৰ্য হৈছিল। তেওঁ জাৰ্মাণীক আৰু জাৰ্মাণীৰ জৰিয়তে প্ৰুচিয়াক ইয়ুৰোপত প্ৰধান কৰিব খুজিছিল। সেই কালত ৩য় নেপোলিয়নৰ অধীনস্থ ফ্ৰান্সক মহাদেশখনৰ প্ৰধান ভূমিভাগত আটাইতকৈ বেছি শক্তিশালী বুলি বিবেচনা কৰা হৈছিল। অষ্ট্ৰিয়াও ডাঙৰ প্ৰতিদ্বন্দ্বী আছিল। বিচমাৰ্কে কেনেকৈ এই শক্তিবিলাকৰ লগত চলনা কৰি এটা এটাকৈ আটাইকেইটাকে ক্ষমতাহীন কৰিছিল, তাৰ আলোচনাটো প্ৰাচীন ৰীতিৰ আন্তৰ্জাতিক ৰাজনীতিৰ আৰু কূটনীতিৰ তথ্য স্বৰূপে অতি চিত্তাকৰ্ষক। তেওঁ আৰম্ভ কৰা প্ৰথম কামটো হৈছিল জাৰ্মাণবিলাকৰ নেতৃত্বৰ প্ৰশ্নটো সৰ্বচিৰকালৰ কাৰণে সমাধান কৰা। প্ৰুচিয়া আৰু অষ্ট্ৰিয়াৰ মাজত থকা প্ৰাচীন প্ৰতিদ্বন্দ্বিতাটো চলি থাকিবলৈ দিব নোৱাৰা হৈছিল। সেই প্ৰশ্নটোৰ খাতাং সিদ্ধান্ত হব লাগিব প্ৰুচিয়াৰ অনুকূল আৰু অষ্ট্ৰিয়াই উপলব্ধি কৰা

উচিত হব যে সেই দেশ তলতীয়া স্বৰূপে থাকিব লাগিব। তাৰ পাচত আহিব ফ্ৰান্সৰ পাল। (তুমি মনত ৰাখিবা যে যেতিয়া মই প্ৰুচিয়া, অষ্ট্ৰীয়া আৰু ফ্ৰান্সৰ কথা কওঁ, তেতিয়া সেইবিলাক দেশৰ চৰকাৰক হে বুজাওঁ। সেই চৰকাৰবিলাক কম-বেচি পৰিমাণে স্বেচ্ছাচাৰী আছিল, সেইবিলাক দেশৰ সংসদবিলাকৰ ক্ষমতা নিচেই কম আছিল।)

সেই কাৰণে বিচমাৰ্কে নীৰৱে তেওঁৰ সামৰিক যন্ত্ৰটো নিখুঁত কৰিছিল। ইতিমধ্যে ৩য় নেপোলিয়নে অষ্ট্ৰীয়া আক্ৰমণ কৰি সেই দেশক পৰাজিত কৰিছিল। এই পৰাজয়ে দক্ষিণ ইটালীত গেৰিবল্ডিৰ অভিযানৰ পথ মুকলি কৰিছিল আৰু অৱশেষত তাৰ ফলত ইটালীৰ মুক্ত হৈছিল। এইবিলাক ঘটনা বিচমাৰ্কৰ কাৰণে উপযোগী হৈছিল, কাৰণ এইবিলাকে অষ্ট্ৰীয়াক দুৰ্বল কৰিছিল। ৰুচিয়াৰ অধীনত থকা পোলেণ্ডত এটা জাতীয় বিদ্ৰোহ হোৱাত বিচমাৰ্কে পোল-বিলাকক আৱশ্যক হলে গুলীয়াই বধ কৰাত জাৰক সহায় কৰিবলৈ প্ৰকৃতপক্ষে প্ৰস্তাৱ দিছিল। এনে প্ৰস্তাৱ দিয়াটো নিন্দনীয় আছিল, কিন্তু ইয়াৰ উদ্দেশ্য সাধন হৈছিল, সেই উদ্দেশ্যটো আছিল ভৱিষ্যতত ইয়ুৰোপৰ কোনো জটিল সমস্যাত জাৰৰ শুভেচ্ছা লাভ কৰা। তাৰ পাচত বিচমাৰ্কে অষ্ট্ৰিয়াৰ লগত মিত্ৰতা কৰি ডেনমাৰ্কক পৰাজিত কৰিছিল আৰু তাৰ অলপ পাচতে তেওঁ ফ্ৰান্স আৰু ইটালীৰ সমৰ্থন পোৱাৰ ব্যৱস্থা কৰি অষ্ট্ৰীয়াত লাগিছিল। ১৮৬৬ খ্ৰীঃত প্ৰুচিয়াই অতি অলপ দিনৰ ভিতৰতে অষ্ট্ৰীয়া অধিকাৰ কৰিছিল। জাৰ্মাণ নেতৃত্বৰ প্ৰশ্নটো সমাধান কৰি আৰু প্ৰুচিয়াই যে নেতা এই কথাটো স্পষ্ট কৰি তেওঁ অষ্ট্ৰীয়াত তিক্ততাৰ ভাব নেৰাখিবৰ কাৰণে অতি সুবিজ্ঞভাৱে অষ্ট্ৰীয়াৰ প্ৰতি উদাৰ আচৰণ কৰিছিল। এই অৱস্থাত প্ৰুচিয়াৰ নেতৃত্বত উত্তৰ জাৰ্মাণ সংযুক্ত ৰাষ্ট্ৰ এখন সৃষ্টি কৰাৰ পথ মুকলি হৈছিল (অষ্ট্ৰীয়া ইয়াৰ ভিতৰত নাছিল)। বিচমাৰ্ক সংযুক্ত ৰাষ্ট্ৰখনৰ 'চেন্সেলাৰ' (ৰাষ্ট্ৰপতি) হৈছিল। বৰ্ত্তমান সময়ত আমাৰ ৰাজনৈতিক আৰু আইনবিশাৰদ পণ্ডিত কিছুমানে বহুত মাহ আৰু বহুত বছৰ যুক্তৰাষ্ট্ৰ আৰু সংবিধানৰ বিষয়ে কথা-বতৰা আৰু তৰ্কবিতৰ্ক চলাই আছে, এই সময়ত লক্ষ্য কৰিবলগীয়া কৌতূহলজনক কথা এই যে বিচমাৰ্কে উত্তৰ জাৰ্মাণ যুক্তৰাষ্ট্ৰৰ সংবিধানখন কৈ লিখাই পাচ ঘণ্টাত শেষ কৰিছিল। আৰু বিশ্বযুদ্ধৰ ১৯১৮ খ্ৰীঃত গণৰাষ্ট্ৰখন প্ৰতিষ্ঠা কৰাৰ আগলৈকে ৫০ বছৰ কাল এইখনেই কেইটামান সালসলনিৰে উত্তৰ জাৰ্মাণ যুক্তৰাষ্ট্ৰৰ সংবিধান হৈ আছিল।

বিচমাৰ্কে তেওঁৰ প্ৰথম ডাঙৰ উদ্দেশ্যটো সিদ্ধি কৰাৰ পাচত তেওঁৰ দ্বিতীয় চেষ্টা হৈছিল ফ্ৰান্সক দমন কৰি ইয়ুৰোপত তেওঁৰ প্ৰাধান্য স্থাপন কৰা। নীৰৱে আৰু একো হৈ-চৈ নলগোৱাকৈ তেওঁ জাৰ্মাণ ঐক্য সাধনৰ কাৰণে চেষ্টা কৰি আৰু ইয়ুৰোপৰ আন শক্তিবিলাকৰ সন্দেহ ভঞ্জন কৰি তাৰ কাৰণে সাজু হৈছিল। আনকি, পৰাজিত অষ্ট্ৰীয়াৰ প্ৰতিও এনে শান্ত আচৰণ কৰা হৈছিল যে তাত বেয়া ভাব বেছি নাছিল। ইংলেণ্ড ফ্ৰান্সৰ ঔপনিবেশিক প্ৰতিদ্বন্দ্বী আছিল, সেই দেশে ৩য় নেপোলিয়নৰ উচ্চাভিলাষী পৰিকল্পনাবিলাকলৈ সন্দেহৰ চকুৰে চাইছিল। সেই কাৰণে ফ্ৰান্সৰ বিৰুদ্ধে যি কোনো সংগ্ৰামতে ইংলেণ্ডৰ সদিচ্ছা লাভ কৰা বিচমাৰ্কৰ কাৰণে টান নাছিল। যেতিয়া তেওঁ যুদ্ধৰ কাৰণে সম্পূৰ্ণে


জাৰ্মানীৰ সম্প্ৰসাৰণ
প্ৰাচিয়া
উত্তৰ-জাৰ্মান ৰাষ্ট্ৰ গোষ্ঠীৰ সীমাৰেখা
বাৰ্লিন
আলচাচ লোৰেন ১৮৭১

সুসজ্জিত হৈছিল, তেতিয়া তেওঁ নিজৰ কাৰবিলাক এনে চতুৰালিৰে চলাইছিল যে তৃতীয় নেপোলিয়নেহে প্ৰকৃতপক্ষে প্ৰুচিয়াৰ বিৰুদ্ধে ১৮৭০ খ্ৰীঃত যুদ্ধ ঘোষণা কৰিছিল। ইবুৰোপে প্ৰুচিয়াৰ চৰকাৰক আক্ৰমণাত্মক ফ্ৰান্সৰ নিৰপৰাধী বুলি যেন দেখিছিল। পেৰিচত মানুহবিলাকে চিৎকাৰ কৰিছিল, 'বাৰ্লিনলৈ। বাৰ্লিনলৈ।' আৰু তৃতীয় নেপোলিয়নে উলাহেৰে মনত কল্পনা কৰিছিল যে তেওঁ বিজয়ী সৈন্যবাহিনী এটাৰ সৰ্বাধিনায়ক স্বৰূপে বাত্তৰতে সোনকালে বাৰ্লিন পাবগৈ। কিন্তু সম্পূৰ্ণ বেলেগ এটা ঘটনাহে ঘটিছিল। বিচমাৰ্কৰ প্ৰশিক্ষণপ্ৰাপ্ত সামৰিক যন্ত্ৰটোৱে ফ্ৰান্সৰ উত্তৰ-পূব সীমান্তত মহাপৰাক্ৰমেৰে আক্ৰমণ চলোৱাত ফৰাচী সৈন্যবাহিনী এই আক্ৰমণত সোট-মোট খাইছিল। কেইসপ্তাহমানৰ ভিতৰতে জাৰ্মাণবিলাকে চেডানত সম্ৰাট তৃতীয় নেপোলিয়নক আৰু তেওঁৰ সৈন্যবাহিনীক বন্দী কৰিছিল।

এইদৰে ফ্ৰান্সৰ দ্বিতীয়খন নেপোলিয়নীয় সাম্ৰাজ্যৰ অন্ত পৰিল। তৎক্ষণাত পেৰিচত এটা গণৰাষ্ট্ৰীয় চৰকাৰ প্ৰতিষ্ঠা কৰা হৈছিল। বহুতো কাৰণত তৃতীয় নেপোলিয়নৰ পতন হৈছিল, কিন্তু প্ৰধান কাৰণ আছিল এই যে তেওঁৰ দমন-নীতিৰ কাৰণে তেওঁ প্ৰজাৰ মাজত অত্যন্ত অপ্ৰিয় হৈছিল। তেওঁ বিদেশত যুদ্ধ চলাই জনসাধাৰণৰ মন আন ফালে আকৃষ্ট কৰিবলৈ চেষ্টা কৰিছিল। সংকটত পৰা ৰজা আৰু চৰকাৰবিলাকৰ এইটো এটা প্ৰিয় পদ্ধতি। তেওঁৰ চেষ্টা ফলৱতী নহ'ল। যুদ্ধই তেওঁৰ উচ্চাভিলাষ চিৰদিনৰ কাৰণে শেষ কৰিছিল।

পেৰিচত জাতীয় প্ৰতিৰক্ষাৰ চৰকাৰ এটা সংগঠিত কৰা হৈছিল। তেওঁলোক প্ৰুচিয়াৰ লগত সন্ধি কৰিবলৈ মান্তি হৈছিল। কিন্তু বিচমাৰ্কৰ সন্ধিৰ চৰ্তবিলাক এনে অপমানজনক আছিল যে প্ৰকৃতপক্ষে তেওঁলোকৰ সৈন্যবাহিনী অৱশিষ্ট নাছিল যদিও তেওঁলোকে যুদ্ধ চলাই থাকিবলৈকে সিদ্ধান্ত কৰিছিল। বহুকাল পেৰিচক অৱৰুদ্ধ কৰি ৰখা হৈছিল, জাৰ্মাণ সৈন্যবাহিনীবিলাক ভাৰ্চাইত আৰু নগৰখনৰ চাৰিওফালে আছিল। অৱশেষত পেৰিচে সেও মানি নতুন গণৰাষ্ট্ৰখনে পৰাজয় স্বীকাৰ কৰি বিচমাৰ্কৰ সন্ধিৰ কঠোৰ চৰ্তবিলাকত মান্তি হৈছিল। বিৰাট পৰিমাণৰ ধন যুদ্ধৰ ক্ষতিপূৰণ স্বৰূপে দিবলৈ ফ্ৰান্স মান্তি হৈছিল, আৰু যি আলচাচ আৰু লৰেইন প্ৰদেশ দুশ বছৰতকৈও অধিক কাল ফ্ৰান্সৰ অংশ হৈ আছিল, সেই প্ৰদেশ দুখন ফ্ৰান্সে জাৰ্মাণীক এৰি দিব লাগিছিল, এই বাবে ফ্ৰান্সে আটাইতকৈ বেচি দুখ পাইছিল।

কিন্তু পেৰিচৰ অৱৰোধ শেষ হোৱাৰ আগতেই ভাৰ্চাযে নতুন সাম্ৰাজ্য এখন জন্ম লাভ কৰা দেখা পাইছিল। ১৮৭০ খ্ৰীঃৰ চেপ্তেম্বৰ মাহত তৃতীয় নেপোলিয়নৰ ফৰাচী সাম্ৰাজ্যখনৰ অন্ত হৈছিল। ১৮৭১ খ্ৰীঃৰ জানুৱাৰী মাহত ভাৰ্চাইৰ কাৰেঙৰ ১৪শ লুইৰ ধমক-জমক দৰবাৰ কোঠালীত ঐক্যবদ্ধ জাৰ্মাণী সংগঠনৰ কথা আৰু প্ৰুচিয়াৰ ৰজাক সেই সাম্ৰাজ্যৰ 'কেইজাৰ' বা সম্ৰাট হোৱাৰ কথা ঘোষণা কৰা হৈছিল। নতুন সম্ৰাট 'কেইজাৰ'ৰ প্ৰতি প্ৰভুভক্ত দেখুৱাবৰ অৰ্থে জাৰ্মাণীৰ সকলোবিলাক ৰজা আৰু সেই দেশৰ প্ৰতিনিধিবিলাক তাত গোট খাইছিল। তেতিয়াৰপৰা প্ৰুচিয়াৰ হোহেনজলাৰ্ন ৰাজবংশটো সম্ৰাটৰ বংশ হৈছিল আৰু ঐক্যবদ্ধ জাৰ্মাণী পৃথিৱীৰ শ্ৰেষ্ঠ শক্তিবিলাকৰ ভিতৰৰ এটা হৈছিল।

ভার্চাইত বং-খেমালি আৰু উৎসৱ হৈছিল, কিন্তু তাৰ ওচৰৰ পেৰিচত বেজাৰ, বিপত্তি আৰু দুৰ্যোৰ অপমান হৈছিল। বহুত দুৰ্যোৰ বিপদে জনসাধাৰণক বিহ্বল কৰিছিল আৰু সুস্থিৰ বা সুপ্রতিষ্ঠিত চৰকাৰ নাছিল। 'জাতীয় পৰিষদ' (নেচনেল এচেম্ব্লি) এখনলৈ বহুত সংখ্যাৰ ৰাজতন্ত্র পুনৰ প্রতিষ্ঠা কৰিবলৈ ষড়যন্ত্র চলাইছিল। তেওঁলোকৰ পথৰ এটা বিঘিনি আঁতৰাবৰ অৰ্থে তেওঁলোকে 'নেচনেল গাৰ্ড'ক (জাতীয় ৰক্ষক দলক) নিৰস্ত্র কৰিবলৈ চেষ্টা কৰিছিল। এই দলটোক গণৰাষ্ট্ৰৰ সমৰ্থক বুলি বিশ্বাস কৰা হৈছিল। নগৰখনৰ সকলোবিলাক গণতান্ত্রিক আৰু বিপ্লবী মানুহে অনুভৱ কৰিছিল যে এনে কৰা হলে প্রতিক্রিয়া আৰু দমন-নীতিৰ পুনৰ প্রবর্তন হব। তেতিয়া এটা বিদ্রোহ হৈছিল আৰু ১৮৭১ খ্রীঃৰ মার্চ মাহত পেৰিচৰ 'কমিউন'ৰ ঘোষণা কৰা হৈছিল। ই এক প্রকাৰৰ পৌৰ সভা আছিল আৰু অতীতৰ ডাঙৰ ফৰাচী বিপ্লৱটোৰ আদর্শত ইয়াক প্রতিষ্ঠিত কৰা হৈছিল। কিন্তু ইয়াত তাতোকৈ বহুত বেছি কিবা আছিল, যিবিলাক সমাজবাদী ভাৱৰ ইতিমধ্যে অভ্যুথান হৈছিল, সেইবিলাককো ইয়াত বৰং অস্পষ্টভাৱে চামিল কৰা হৈছিল। এটা অৰ্থত ই ৰুচিয়াৰ 'চোভিয়েট" বিলাকৰ পূৰ্বাধিকাৰী আছিল। কিন্তু ১৮৭১ খ্রীঃৰ পেৰিচৰ 'কমিউন' অলপ দিন মাথোন তিষ্ঠি আছিল। ৰাজতন্ত্রী আৰু 'বুৰ্জোৱা' (মধ্যবিত্ত) বিলাকে জনসাধাৰণৰ এনে অভ্যুথান দেখি ভয় খাই 'কমিউন'ৰ অধীনত পেৰিচৰ যি ভাগটো আছিল তাক তেওঁলোকে অবৰুদ্ধ কৰিছিল। ওচৰৰ ভার্চাই আৰু আন আন ঠাইৰ জাৰ্মাণ সৈন্যবাহিনীয়ে নিৰলে চাই আছিল। এই সময়তে জাৰ্মাণবিলাকে আগেয়ে যিবিলাক ফৰাচী সৈন্যক বন্দী কৰিছিল, তেওঁলোকক মুক্ত কৰি দিয়াত, তেওঁলোকে পেৰিচলৈ উলটি আহি তেওঁলোকৰ পুৰণি বিষয়াবিলাকৰ লগ লৈ 'কমিউন'ৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। 'কমিউন'ৰ সমৰ্থকবিলাকৰ বিৰুদ্ধে যুদ্ধযাত্রা কৰি তেওঁলোকে ১৮৭১ খ্রীঃৰ সেই মাহৰ শেষৰ ফালে অহকালি এদিন তেওঁলোকক যুদ্ধত ঘটুৱাই ৩০,০০০ (ত্রিশ হেজাৰ) মুনিহ-তিৰোতাক পেৰিচৰ ৰাস্তাত গুলীয়াই বধ কৰিছিল। 'কমিউন'ৰ বহুতো সমৰ্থকক বন্দী কৰা হৈছিল, তেওঁলোককো পাচত অতি নিষ্ঠুৰভাৱে গুলীয়াই বধ কৰা হৈছিল। এইদৰে পেৰিচৰ 'কমিউন'ৰ অন্ত হৈছিল আৰু সেই সময়ত এই ঘটনাই ইয়ুৰোপক বৰকৈ উত্তেজিত কৰিছিল। ইয়াক এইদৰে নিষ্ঠুৰভাৱে দমন কৰাৰ কাৰণেই এই উত্তেজনা হোৱা নাছিল। প্রচলিত পদ্ধতিৰ বিৰুদ্ধে এইটোৱেই প্ৰথম সমাজবাদী বিদ্রোহ আছিল কাৰণেও এই উত্তেজনা হৈছিল। আগেয়েও দুখীয়ামানুহবিলাক সঘনে ধনী মানুহৰ বিৰুদ্ধে উঠিছিল। কিন্তু যি পদ্ধতিটোৰ কাৰণে তেওঁলোক দুখীয়া হৈ আছিল, সেই পদ্ধতিটো পৰিবৰ্ত্তন কৰাৰ কথা তেওঁলোকে আগেয়ে কেতিয়াও নেভাবিছিল। 'কমিউন' খন গণতান্ত্রিক আৰু অৰ্থনৈতিক—এই দুয়ো বিধৰ বিদ্রোহ আছিল। সেই কাৰণে ই ইয়ুৰোপত সমাজবাদী চিন্তাৰ উন্নয়নৰ নিদর্শন আছিল। ফ্রান্সত 'কমিউন' খন নিষ্ঠুৰভাৱে দমন কৰাত সমাজবাদী ভাববিলাক গোপনীয়ভাৱে চলিছিল, সেই কাৰণে তাত সেইবিলাকৰ পুনৰুত্থান মন্থৰ হৈছিল।

'কমিউন' খন দমন কৰা হৈছিল, যদিও ফ্রান্সত ৰাজতন্ত্রৰ পৰীক্ষা পুনৰ চলোৱা নহল। অলপ দিনৰ পাচত সেই দেশত গণৰাষ্ট্ৰবাদ স্থিৰাংকৈ সুদৃঢ়

হৈছিল আৰু ১৮৭৫ খ্ৰীঃৰ জানুৱাৰী মাহত নতুন এখন সংবিধানমতে তৃতীয় গণৰাষ্ট্ৰখন ঘোষণা কৰা হৈছিল। তেতিয়াৰপৰা সেই গণৰাষ্ট্ৰখন প্ৰচলিত হৈ এতিয়ালৈকে আছে। ফ্ৰান্সত এতিয়াও এনে মানুহ আছে যাক লজ্জা লাগে কিন্তু তেওঁলোকৰ সংখ্যা বৰ কম আৰু ফ্ৰান্স গণৰাষ্ট্ৰবাদৰ নিশ্চয়কৈ পক্ষপাতী যেন দেখা গৈছে। ফৰাচী গণৰাষ্ট্ৰখন মধ্যবিত্তৰ গণৰাষ্ট্ৰ আৰু সম্পত্তিশালী মধ্যবিত্তৰ শ্ৰেণীবিলাকৰ ইয়াত আধিপত্য আছে।

ফ্ৰান্সে ১৮৭০-৭১ খ্ৰীঃৰ জাৰ্মাণ যুদ্ধৰপৰা গা টেঙাই বিৰাট পৰিমাণৰ যুদ্ধৰ ক্ষতিপূৰণ পৰিশোধ কৰিছিল, কিন্তু সেই দেশৰ মানুহে যি অপমান সহ্য কৰিব লাগা হৈছিল, তাৰ বাবে তেওঁলোকৰ অন্তৰত খং আছিল। তেওঁলোক এটা গৰ্বী জাতি আৰু তেওঁলোকে বহুত কাললৈকে কথা মনত ৰাখে, আৰু প্ৰতিশোধৰ ভাবে তেওঁলোকৰ মন সম্পূৰ্ণে অধিকাৰ কৰিছিল। তেওঁলোকে আলচাক আৰু লেৰেইন প্ৰদেশ হেৰুৱাৰ কাৰণে মনত বিশেষকৈ দুখ পাইছিল। অষ্ট্ৰিয়াৰ পৰাজয়ৰ পাচতন বিচমাৰ্কে সেই দেশৰ প্ৰতি উদাৰতা দেখুৱাই বিজ্ঞ লোকৰ কাম কৰিছিল। কিন্তু ফ্ৰান্সৰ প্ৰতি দেখুওৱা নিৰ্দয় আচৰণত তেওঁৰ উদাৰতা বা সুবিবেচনা নাছিল গৰ্বী শাক্ত জাত এটাক অপমানিত কৰাৰ বিনিময়ত তেওঁ সেই জাতিটোৰ ভয়ংকৰ আৰু চিৰস্মৰণীয় শত্ৰুতা লাভ কৰিছিল। চেডানৰ যুদ্ধ লগাৰ ঠিক পাচতে আনকি সেই যুদ্ধ শেষ হোৱাৰ আগতেই, বিখ্যাত সমাজবাদী কাৰ্লমাৰ্ক্সে এখন ঘোষণা পত্ৰ প্ৰচাৰ কৰিছিল। সেই ঘোষণাপত্ৰত তেওঁ ভৱিষ্যৎ বাণী কৰিছিল যে আলচাক অধিকাৰ কৰাৰ পৰা 'দেশ দুখনৰ মাজত সাংঘাতিক শত্ৰুতা হ'ব, শান্তিৰ সলনি যুদ্ধ-বিৰতি হ'ব।' আন বহুতো বিষয়ৰ দৰে এই বিষয়তো তেওঁ সঠিক ভৱিষ্যৎ বক্তা আছিল।

সেই কালত জাৰ্মানীত বিচমাৰ্ক সৰ্বশক্তিমান সাম্ৰাজ্যবাদী 'চেন্সেলাৰ' (ৰাষ্ট্ৰপতি) আছিল। তেওঁৰ 'ৰক্তপাত আৰু লোহাৰ শিকলি'ৰ নীতি সাময়িক ভাৱে কৃতকাৰ্য হৈছিল, জাৰ্মানীয়ে সেই নীতি গ্ৰহণ কৰিছিল আৰু উদাৰ ভাৱৰ মূল্য কমিছিল। বিচমাৰ্কে ৰজাৰ হাতত সকলো ক্ষমতা ৰাখিবলৈ চেষ্টা কৰিছিল। কাৰণ তেওঁৰ গণতন্ত্ৰত বিশ্বাস নাছিল। জাৰ্মাণ উদ্যোগ আৰু বনুৱা শ্ৰেণীৰ সংবৰ্দ্ধনৰপৰা নতুন সমস্যাৰ সৃষ্টি হৈছিল, কাৰণ এই শ্ৰেণীটোৱে শক্তিশালী হৈ মৌলিক দাবী কৰিছিল। বিচমাৰ্কে এই সম্পৰ্কত দুই প্ৰকাৰৰ আচৰণ কৰিছিল—বনুৱাৰ অৱস্থা উন্নত কৰা আৰু সমাজবাদ দমন কৰা। তেওঁ সামাজিক বিষয়ৰ আইন প্ৰণয়নত সহায় কৰি বনুৱাবিলাকক সন্তুষ্ট কৰি ৰাখিবলৈ অন্ততঃ তেওঁলোকক উগ্ৰ নোহোৱাকৈ ৰাখিবলৈ চেষ্টা কৰিছিল। এইদৰে এনে বিধৰ আইন প্ৰণয়নত জাৰ্মানীৰ পথ প্ৰদৰ্শক হৈছিল আৰু বনুৱাৰ বুঢ়া কালৰ 'পেঞ্চন' বীমা আৰু চিকিৎসা বিষয়ৰ আৰু বনুৱাৰ অৱস্থা উন্নত কৰা আন আন বিষয়ৰ আইন প্ৰণয়ন কৰা হৈছিল, আনকি যি ইংলেণ্ডত উদ্যোগ আৰু বনুৱাৰ আন্দোলন বেছি পুৰণি আছিল, তাতো এই সম্পৰ্কত বেছি কৰাৰ আগতে জাৰ্মাণত সেইবিলাক বিষয়ৰ আইন কৰা হৈছিল। এই নীতিটো অলপ সফল হৈছিল, কিন্তু বনুৱাৰ সমাজবিলাকৰ তেতিয়াও সংবৰ্দ্ধন হৈছিল। তেওঁলোকৰ কাৰ্যক্ষম নেতা আছিলাও

লাচেল এজন সুদক্ষ লোক আছিল ; তেওঁক ১৯শ শতাব্দীৰ শ্ৰেষ্ঠ বাগ্মী বুলি বিবেচনা কৰা হৈছিল। মাল-যুঁজ এখনত তেওঁৰ ডেকা কালতে মৃত্যু হৈছিল। উইল হেলেম্ লিয়েবকেনেচ এজন সাহসী, প্ৰবীণ যোদ্ধা আৰু বিদ্ৰোহী আছিল। তেওঁ এবাৰ কথমপিহে বন্দুকৰ গুলীৰপৰা সাৰিছিল কিন্তু তাৰপৰা ৰক্ষা পৰি তেওঁ বহুত বছৰ জীৱিত আছিল। তেওঁৰ পুতেক কাৰ্লে তাৰ পাচত মুক্তি যুদ্ধ চলাই আছিল, ১৯১৮ খ্ৰীঃত জাৰ্মাণ গণৰাষ্ট্ৰখন স্থাপনৰ কেইবছৰমানৰ আগত তেওঁক হত্যা কৰা হৈছিল। আৰু আছিল কাৰ্লমাৰ্ক্স। এওঁৰ বিষয়ে মই তোমাক আন এখন চিঠিত কম। কিন্তু মাৰ্কচ্ তেওঁৰ জীৱনৰ সৰহভাগ কাল জাৰ্মাণীৰপৰা নিৰ্বাসিত হৈ আছিল।

বনুৱাৰ সংগঠনবিলাকৰ সংবৰ্দ্ধন হৈছিল আৰু ১৮৭৫ খ্ৰীঃত সেইবিলাক সন্মিলিত হৈ তেওঁলোকে "সমাজবাদী গণতান্ত্ৰিক দলটো" গঠন কৰিছিল। বিচ্মাৰ্কে সমাজবাদৰ এনে সংবৰ্দ্ধন সহ্য কৰিব নোৱাৰিছিল। সম্ৰাটজনক বধ কৰিবলৈ এটা চেষ্টা কৰা হৈছিল। কিন্তু এই অজুহাতত তেওঁ সমাজবাদী-বিলাকৰ ওপৰত ভীষণ উৎপীড়ণ চলাইছিল। ১৮৭৮ খ্ৰীঃত সমাজবাদ বিৰোধী আইন কৰি সকলো প্ৰকাৰৰ সমাজবাদী কাৰ্য-কলাপ দমন কৰা হৈছিল। সমাজ-বাদীবিলাকৰ সম্পৰ্কত এক প্ৰকাৰৰ সামৰিক আইন কৰা হৈছিল, আৰু বহুত হাজাৰ মানুহক দেশৰপৰা বাহিৰ কৰি পঠিওৱা হৈছিল নাইবা বন্দীশালত আবদ্ধ কৰি ৰখা হৈছিল। এইদৰে খেদা খোৱা বহুত মানুহ আমেৰিকালৈ গ'ল ; তেওঁলোক তাত সমাজবাদৰ পথ প্ৰদৰ্শক হৈছিল। 'সমাজবাদী গণতান্ত্ৰিক দল'টোৱে কঠোৰ আঘাত পাইছিল, কিন্তু ই তিষ্ঠি থাকিব পাৰিছিল আৰু পাচত ই পুনৰ শক্তিশালী হৈছিল। বিচ্মাৰ্কৰ সম্ৰাসবাদে ইয়াক নাশ কৰিব নোৱাৰিছিল, কিন্তু ইয়াৰ কৃতকাৰ্যতা বহুত বেচি অনিষ্টকৰ প্ৰমাণিত হৈছিল। ইয়াৰ শক্তি বঢ়াৰ লগে লগে ই এটা বিৰাট সংগঠনত পৰিণত হ'ল, বহুতো সম্পত্তিৰ গৰাকী হ'ল আৰু ইয়াৰ কেইবা হাজাৰো দৰমহা লোৱা কৰ্মী আছিল। যেতিয়া মানুহ এজন বা সংগঠন এটা সম্পত্তিশালী হয় তেতিয়া সেই মানুহজন বা সংগঠনটো বিপ্লৱ নোহোৱা হয়। জাৰ্মাণীৰ সমাজবাদী গণতান্ত্ৰিক দলটোৰো এনে গতি হৈছিল।

কূটনৈতিক কৌশলে বিচমাৰ্কক শেষলৈকে লগ এৰা নাছিল, আৰু তেওঁৰ দিনৰ আন্তৰ্জাতিক ৰাজনীতিত তেওঁৰ অৱদান গুৰুত্বপূৰ্ণ আছিল। সেই কালত ৰাজনীতি ষড়যন্ত্ৰ, প্ৰতি-ষড়যন্ত্ৰ, প্ৰতাৰণা আৰু গুপ্তৰ এখন অদ্ভুত আৰু আওপকীয়া জাল আছিল, ইয়াৰ সকলোবিলাক কাম গোপনে আৰু চাকনিৰ আঁৰত হৈছিল, বৰ্ত্তমান কালতো ৰাজনীতি এনে হৈয়ে আছে। এই কামবিলাক জনাজনি হোৱা হলে সেইবিলাক যেছি দিন টিকি নেথাকিলহেঁতেন। বিচমাৰ্কে অষ্ট্ৰিয়া আৰু ইটালীৰ লগত 'তিনি শক্তিৰ মিত্ৰতা' নামৰ মিত্ৰতা কৰিছিল ; কাৰণ সেই সময়ত ফৰাচীবিলাকে প্ৰতিশোধ লব পাৰে বুলি তেওঁৰ মনত ভয় সোমাইছিল। আৰু সেই কাৰণে প্ৰত্যেক পক্ষে যেছি বেছিকৈ যুদ্ধৰ কাৰণে সাজু হৈছিল, ষড়যন্ত্ৰ কৰিছিল আৰু এপক্ষে আন পক্ষৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছিল।

১৮৮৮ খ্ৰীঃত ডেকা মানুহ এজন সম্ৰাট ২য় উইলহেল্ম্ নামলৈ জাৰ্মাণ

'কেইজাৰ' হৈছিল। তেওঁ ববকৈ অনুভৱ কৰিছিল যে তেওঁ এজন শক্তিশালী মানুহ আৰু শীঘ্রে বিচমার্কৰ লগত তেওঁৰ কন্দল হৈছিল। বৃদ্ধাকালত ঘোৰ মানৱ 'চেঞ্চেলাৰ' জনক তেওঁৰ পদৰপৰা বৰ্খাস্ত কৰা হৈছিল, এইবাবে তেওঁৰ খং উঠিছিল। তেওঁৰ মন ভাল লগাবলৈ তেওঁক 'প্রিন্স' উপাধি দিয়া হৈছিল, কিন্তু তেওঁ বিৰক্ত হৈ আৰু ৰজাবিলাকৰ বিষয়ে তেওঁৰ সকলো ভুল ধাৰণা থোৱাত অৱসৰ লৈ নিজৰ জমিদাৰীলৈ উলটি গৈছিল। তেওঁৰ বন্ধু এজনক তেওঁ কৈছিল, "ৰজাৰ শাসনৰ প্রতি অনুৰাগ আৰু ৰজাৰ প্রতি ভক্তিৰ ডাঙৰ ভঁৰাল এটা লৈ মই মোৰ বিষয়-বাব লৈছিলোঁ; মই বুজি পাইছোঁ যে মোক বেজাৰ দিবলৈ সেই ভঁৰালটো ক্রমান্বয়ে বেছিকৈ উদং হৈ গৈছে! মই তিনিজন ৰজাক উলঙ্গ অৱস্থাত দেখিলোঁ আৰু সেই দৃশ্যটো সদায় আনন্দদায়ক নাছিল।'

বিষণ্ণ বৃদ্ধ লোকজন আৰু বহুত বছৰ জীবিত থকাৰ পাচত ১৮৯৮ খ্রীঃত ৮৩ বছৰ বয়সত তেওঁৰ মৃত্যু হৈছিল। কেইজাৰে তেওঁক বৰ্খাস্ত কৰাৰ পাছতো, আনকি তেওঁৰ মৃত্যুৰ পাছতো জাৰ্মাণীৰ ওপৰত তেওঁৰ ছাঁ পৰি আছিল আৰু তেওঁৰ উদাহৰণে তেওঁৰ পৰৱৰ্তী 'চেন্সেলাৰ' সকলকো প্রণোদিত কৰিছিল। কিন্তু তেওঁৰ পৰৱৰ্তীসকল তেওঁতকৈ তল খাপৰ মানুহ আছিল।

১২৯

কেইজনমান বিখ্যাত লিখক

১ ফেব্রুৱাৰী, ১৯৩৩

কালি মই জাৰ্ম্মাণীৰ অভ্যুদয়ৰ কথা তোমালৈ লেখি থাকোঁতে মোৰ মনত পৰিছিল যে মই তোমাক ১৯শ শতাব্দীৰ আগতীয়া ভাগৰ আতাইতকৈ শ্ৰেষ্ঠ জাৰ্ম্মাণ জনৰ বিষয়ে আগেয়ে কোৱা নাছিলোঁ। এই লোকজন আছিল বিখ্যাত লিখক গেঠে, কেই মাহ মানৰ আগতে জাৰ্ম্মাণীৰ সকলো ভাগতে তেওঁৰ মৃত্যুৰ শতবাৰ্ষিকি উৎসৱ পালন কৰা হৈছিল। আৰু তেতিয়া মই ভাবিছিলোঁ যে এই যুগৰ ইয়ুৰোপৰ বিখ্যাত লিখকসকলৰ বিষয়ে তোমাক অলপ কোৱা ভাল হব। কিন্তু বিষয়টো মোৰ কাৰণে বিপদজনক কাৰণ এই বিষয়ত মোৰ অজ্ঞতা দেখুৱাহে হব। জনাজাত নামবিলাকৰ তালিকা এটা মাথোন দিয়া বৰং নিৰ্ব্বোধিতা হব, আৰু তাতকৈ বেছি অলপ কোৱা টান হব। ইংৰাজী সাহিত্যৰ বিষয়ে মোৰ অলপ জ্ঞান আছে, আন ইয়ুৰোপীয় সাহিত্যবিলাকৰ বিষয়ে মোৰ জ্ঞান কেইখনমান অনুবাদতে সীমাবদ্ধ। এই অৱস্থাত মই কি কৰা উচিত হব ভাবিছিলোঁ।

এই বিষয়ে অলপ কোৱাৰ ভাবটো মোৰ মনত বদ্ধমূল হৈছিল, আৰু মই ভাবটো মনৰপৰা গুচাব নোৱাৰিছিলোঁ। মই অনুভৱ কৰিছিলোঁ যে যদিও মই এই মনোমোহা ৰাজ্যখনলৈ যোৱা বাটত তোমাৰ লগত বহুত দূৰলৈ যাব নোৱাঁৰোঁ, তথাপি তোমাক অন্ততঃ সেই ৰাজ্যলৈ যোৱা দিশটো আঙুলিয়াই দেখুৱা উচিত হব। কাৰণ জনতাৰ তৰল কাৰ্য-কলাপবিলাকতকৈ কলা আৰু সাহিত্যই জাতি এটাৰ আত্মাৰ বিষয়ে সঘনে বেছি নিখুঁত জ্ঞান দিয়ে। কলা আৰু সাহিত্যই আমাক শান্ত আৰু নিৰ্ম্মল চিন্তাৰ এনে এখন ৰাজ্যলৈ লৈ যায়, য'ত আমাৰ তৎকালীন বিপু-বিলাকৰ আৰু যুক্তিহীন বিশ্বাসবিলাকৰ প্ৰভাৱ নপৰে। কিন্তু বৰ্ত্তমান কালত কবি আৰু কলাবিদ সকলক সমাগত কালৰ ভৱিষ্যত বক্তা বুলি কাচিৎহে বিবেচনা কৰা হয় আৰু তেওঁলোকে অতি কম সন্মান পায়। যদি কেতিয়াবা কোনো ৰকমে অলপ সন্মান তেওঁলোকে পায় তেনেহলে সেইকণকো তেওঁলোকে মৃত্যুৰ পাচতহে পায়।

সেইকাৰণে মই তোমাৰ আগত এনে কেইটামান মাথোন নাম উল্লেখ কৰিম, যিবিলাকৰ ভিতৰত কেইটামানৰ লগত তোমাৰ আগতে ভালকৈ পৰিচয় হৈছে, আৰু মই শতাব্দীটোৰ আগতীয়া ভাগটোৰ বিষয়ে মাথোন আভাস দিম। তোমাৰ

ধাপ বঢ়াবলৈ যথোচিত এনে কৰা হৈছে। মনত ৰাখিবা যে ইয়ুৰোপৰ বহুতো দেশে ১৯শ শতাব্দীত লিখা মনোহৰ ৰচনাৰ অতি মূল্যবান সংগ্ৰহ ৰখিতো আছে।

গেঠে আচলতে অষ্টাদশ শতাব্দীৰ লোক আছিল কাৰণ তেওঁৰ জন্ম হৈছিল ১৭৪৯ খ্ৰীঃত, কিন্তু তেওঁ অতি বুঢ়া বয়সলৈকে (৮৩ বছৰ) জীৱিত আছিল আৰু এইদৰে তেওঁ পিচৰ শতাব্দীটোৰ প্ৰায় তৃতীয়াংশ কাল দেখা পাইছিল। তেওঁ ইয়ুৰোপৰ যুদ্ধৰ এটা অতি হুলস্থূলীয়া যুগত জীৱিত আছিল আৰু তেওঁৰ নিজৰ দেশখন নেপোলিয়নৰ সৈন্যবাহিনীবিলাকে অধিকাৰ কৰা দেখা পাইছিল। নিজৰ জীৱনত তেওঁৰ বহুতো বেজাৰৰ অভিজ্ঞতা হৈছিল। কিন্তু ক্ৰমে তেওঁৰ জীৱনৰ সংকটবিলাকৰ ওপৰত আধ্যাত্মিক প্ৰভুত্ব স্থাপন কৰি উদাসীনতা আৰু শান্ত অৱস্থা লাভ কৰিছিল আৰু সেয়ে তেওঁক শান্তি দিছিল। তেওঁৰ বয়স বেতিয়া ৬০ বছৰৰ অধিক হৈছিল, সেই সময়ত নেপোলিয়নে তেওঁক প্ৰথম দেখিছিল। তেওঁ দুৱাৰ মুখত থিয় হৈ থাকোঁতে তেওঁৰ মুখত আৰু আকৃতিত এনে কিবা এটা আছিল, তেওঁৰ দৃষ্টি এনে উদ্বেগহীন আৰু অৱয়ৱ এনে সম্ভ্ৰমপূৰ্ণ আছিল যে নেপোলিয়নে আচৰিত হৈ কৈছিল, 'চোৱা, এজন মানুহ আছে।' তেওঁ বহুতো বিষয়ত হাত দিছিল, আৰু তেওঁ যিহকে কৰিছিল, তাকে বিশেষ কীৰ্তিৰে কৰিছিল। তেওঁ দাৰ্শনিক, কবি, নাট্যকাৰ বিভিন্ন বহুতো বিজ্ঞানলৈ ধাপ থকা বৈজ্ঞানিক আছিল আৰু এই সকলোবিলাকৰ উপৰি তেওঁৰ ব্যৱহাৰিক কাম আছিল এজন সামান্য জাৰ্মাণ 'প্ৰিন্স'ৰ (সম্ৰাটৰ অধীনৰ সৰু ৰজাৰ) ৰাজসভাত মন্ত্ৰীৰ কাম। তেওঁ লিখক স্বৰূপে আমাৰ মাজত আটাইতকৈ বেছি জনাজাত আৰু তেওঁৰ আটাইতকৈ শ্ৰেষ্ঠ গ্ৰন্থ 'ফাউষ্ট'। তেওঁৰ দীঘলীয়া জীৱিত কালত তেওঁৰ যশস্যা বহুত দূৰলৈকে বিস্তৃত হৈছিল আৰু তেওঁৰ সাহিত্যৰ নিজৰ ক্ষেত্ৰত তেওঁৰ দেশবাসীয়ে তেওঁক প্ৰায় দেৱত্ব লাভ কৰা লোক বুলি ভৱা হৈছিল।

গেঠেৰ সমসাময়িক, তেওঁতকৈ অলপ সৰু, স্কাইলাৰ নামে এজন আছিল, তেওঁ এজন শ্ৰেষ্ঠ কবি আছিল। তেওঁলোকতকৈ বহুতো সৰু আন এজন শ্ৰেষ্ঠ আৰু আনন্দদায়ক কবি আছিল হেনৰিক হেইন, তেওঁ কিছুমান সুন্দৰ গীতি-কাব্য লিখিছিল। গেঠে, স্কাইলাৰ, হেইন—এই তিনিওজনৰে প্ৰাচীন গ্ৰীচৰ মৌলিক সংস্কৃতিৰ প্ৰগাঢ় জ্ঞান আছিল।

বহুল কালৰ আগৰপৰা জাৰ্মাণী দাৰ্শনিকৰ দেশ বুলি জনাজাত হৈ আহিছে, আৰু মই তোমাৰ আগত এটা বা দুটা নাম উল্লেখ কৰা ভাল হ'ব, যদিও সম্ভৱতঃ সেইবিলাকলৈ তোমাৰ মন ধৰকৈ আকৃষ্ট নহ'ব। যিবিলাক মানুহৰ বিষয়টোলৈ অত্যাধিক আগ্ৰহ আছে তেওঁলোকেহে সেই দাৰ্শনিকসকলৰ কিতাপ পঢ়িবলৈ চেষ্টা কৰা আৱশ্যক, কাৰণ সেইবিলাক কিতাপ গূঢ়াৰ্থ থকা আৰু বুজিবলৈ টান। তথাপি এওঁলোক আৰু আন দাৰ্শনিকসকল আকৰ্ষণীয় আৰু শিক্ষাপ্ৰদ, কাৰণ তেওঁলোকে চিন্তাৰ চাকিটো জলাই ৰাখিছিল আৰু তেওঁলোকৰ জৰিয়তে মানুহে উন্নয়নৰ কথা বুজিব পাৰে। ইমানুৱেল কাণ্ট ১৮শ শতাব্দীৰ শ্ৰেষ্ঠ জাৰ্মাণ দাৰ্শনিক আছিল আৰু তেওঁ শতাব্দীটোৰ পৰিবৰ্তনৰ সময়লৈকে জীৱিত আছিল, তেতিয়া তেওঁৰ বয়স আশী বছৰ হৈছিল। দৰ্শন বিষয়ত আন এটা বিখ্যাত নাম আছিল হেগেল। তেওঁ কাণ্টৰ মত অনুসৰণ কৰিছিল আৰু সাম্যবাদৰ ('কমিউনি-

ৰম্ ’) জন্মদাতা কাৰ্ল্ মাৰ্ক্স ৰবকৈ প্ৰভাৱিত কৰিছিল বুলি ভৰা হয়। দাৰ্শনিকসকলৰ বিষয়ে ইমানতে থাওক।

উনবিংশ শতাব্দীৰ আৰম্ভণিৰ বছৰ কেইটাত বহুতো প্ৰখ্যাত কৱিৰ বিশেষকৈ ইংলেণ্ডত উদ্ভৱ হৈছিল। সেই কালতে ৰুচিয়াৰ আটাইতকৈ বেছি জনাজাত জাতীয় কৱি পুস্কিন জীৱিত আছিল। মাল-যুঁজ এখনত তেওঁৰ ডেকা কালতে মৃত্যু হৈছিল। সেই কালত ফ্ৰান্সতো বহুত কৱি আছিল, কিন্তু মই মুঠেই দুটা ফৰাচী নাম উল্লেখ কৰিম। এটা নাম ভিক্টৰ হিউগো, ১৮০২ খ্ৰীঃত তেওঁৰ জন্ম হৈছিল আৰু গেঠেৰ দৰে তেৰেঁা ৮৩ বছৰ বয়সলৈকে জীৱিত আছিল আৰু গেঠেৰ দৰেই তেওঁৰ নিজৰ দেশত সাহিত্যত এক প্ৰকাৰৰ দেৱত্ব লাভ কৰা লোক হৈছিল। লিখক স্বৰূপে আৰু ৰাজনৈতিক লোক স্বৰূপেও তেওঁৰ জীৱনী নানা অভিজ্ঞতাপূৰ্ণ আছিল। তেওঁ আক্ৰমণাত্মক ৰাজতন্ত্ৰী স্বৰূপে জীৱনী আৰম্ভ কৰিছিল, স্বেচ্ছাচাৰী ৰাজতন্ত্ৰত তেওঁ প্ৰায় বিশ্বাসী আছিল। কালক্ৰমে তেওঁ খাপে খাপে পৰিৱৰ্ত্তিত হৈ শেষত ১৮৪৮ খ্ৰীঃত গণৰাষ্ট্ৰবাদী হৈছিল। যেতিয়া লুই নেপোলিয়ন ক্ষনস্থায়ী দ্বিতীয় গণৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰপতি হৈছিল, তেতিয়া তেওঁ হিউগোক তেওঁৰ গণৰাষ্ট্ৰবাদী মতৰ কাৰণে নিৰ্ব্বাসিত কৰিছিল। ১৮৭১ খ্ৰীঃত ভিক্টৰ হিউগো পেৰিচৰ "কমিউন" খনৰ পক্ষপতী আছিল। তেওঁ ৰক্ষণশীলতাৰ একেবাৰে সোঁ-পথৰপৰা ক্ৰমে আঁতৰি গৈ নিশ্চিতভাৱে সমাজবাদৰ একেবাৰে বাওঁপথ পাইছিল। অতি সৰহভাগ মানুহ বেচি বয়সস্থ হলে ৰক্ষণশীল আৰু প্ৰতিক্ৰিয়াশীল হয়। হিউগো তাৰ সম্পূৰ্ণ বিপৰীত হৈছিল। কিন্তু আমি ইয়াত তেওঁক লিখক স্বৰূপেহে বিচাৰ কৰিছোঁ। তেওঁ শ্ৰেষ্ঠতৰ কৱি, ঔপন্যাসিক আৰু নাট্যকাৰ আছিল।

মই উল্লেখ কৰিব খোজা দ্বিতীয় নামটো হৈছে হনুৰি ডি বালজাকৰ। তেওঁ ভিক্টৰ হিউগোৰ সমসাময়িক আছিল, কিন্তু তেওঁতকৈ বৰ বেলেগ আছিল। তেওঁ অতি বিস্ময়কৰ উদ্যমৰ ঔপন্যাসিক আছিল আৰু তেওঁৰ যথেষ্ট চুটি জীৱনত বিৰাট সংখ্যাৰ উপন্যাস লিখিছিল। তেওঁৰ গল্পবিলাকৰ ইটোৰ লগত সিটোৰ সম্পৰ্ক আছিল, সেই বিলাকত সঘনে একেবিলাক চৰিত্ৰকে দেখা পোৱা যায়। তেওঁৰ উপন্যাসবিলাকত তেওঁৰ দিনৰ ফৰাচী জীৱনৰ সকলো ফাল প্ৰতিফলিত কৰা তেওঁৰ উদ্দেশ্য আছিল আৰু তেওঁ এই ৱানি কিতাপৰ সমষ্টিটোৰ নাম দিছিল 'মানুহৰ ধেমেলীয়া নাটক'। ভাৱটো অতি মহৎ আছিল, আৰু যদিও তেওঁ কঠোৰভাৱে আৰু দীঘলীয়া সময় কাম কৰিছিল, তথাপি যি বিৰাট কামটোত তেওঁ লাগিছিল, সেই কাম শেষ কৰিব নোৱাৰিলে।

উনবিংশ শতাব্দীৰ আৰম্ভণিৰ ভাগৰ বছৰ কেইটাত ইংলেণ্ডত তিনিজন চৰক লগোৱা ডেকা কৱি প্ৰখ্যাত হৈছিল। তেওঁলোক সমসাময়িক আছিল আৰু তিনি বছৰৰ আগ-পিছাকৈ তিনিও জনৰ ডেকা কালতে মৃত্যু হৈছিল। এই তিনিজন আছিল—কিট্‌চ্, শেলী আৰু বাইৰণ। কিট্‌চে দাৰিদ্ৰ্য আৰু নিৰুৎসাহৰ বিৰুদ্ধে কঠোৰ সংগ্ৰাম চলাব লগা হৈছিল আৰু ১৮২১ খ্ৰীঃত ২৬ বছৰ বয়সত যেতিয়া তেওঁৰ ৰোমত মৃত্যু হৈছিল, তেতিয়া তেওঁ অতি কমকৈ জনাজাত আছিল। তথাপি তেওঁ আগতে কেইটামান অতি মনোহৰ কৱিতা ৰচনা কৰিছিল। কিট্‌চ্ মধ্যবিত্ত শ্ৰেণীৰ লোক আছিল আৰু লক্ষ্য কৰিবলগীয়া কৌতূহলজনক কথা এই

যে ধনৰ অভাৱটো যদি তেওঁৰ পথৰ কণ্টক হৈছিল, তেনেহলে দুখীয়াবিলাকে কাৰণে কৰি আৰু লিখক হোৱাটো যে আৰু কিমান বেচি টান হয় চাওঁক। পৰুতে কেম্ব্ৰিজৰ বৰ্তমান সময়ৰ ইংৰাজী সাহিত্যৰ অধ্যাপক জনে এই বিষয়টোৰ লগত সঙ্গতি থকা কেইটামান মন্তব্য কৰিছে।

তেওঁ কৈছে, "এইটো দুখৰ কথা যে আমাৰ জাতীয় সমবায়টোৰ কিবা এটা দোষৰ কাৰণে প্ৰচলিত কালত আৰু যোৱা দুশ বছৰত দুখীয়া কৰিবলৈ অতি সামান্য সুবোগো নাই। লোক বিশ্বাস কৰক—আৰু মই দহ বছৰৰ সৰহ ভাগ কাল-তিনিশ বিশখন প্ৰাথমিক বিদ্যালয়ৰ তত্ত্বাৱধান কৰি কটাইছোঁ—আমি গণতন্ত্ৰৰ কথা বকি থাকিব পাৰোঁ, কিন্তু কাৰ্যক্ষেত্ৰত কি বুদ্ধি-বৃত্তি বিষয়ৰ মুক্তিয়ে শ্ৰেষ্ঠ ৰচনা বিলাকৰ সৃষ্টি কৰে, ইংলেণ্ডৰ এটা দুখীয়া শিশুৱে দাৰিদ্ৰ্যৰ দাসত্বৰপৰা মুক্ত হৈ সেই মুক্তি লাভ কৰাৰ আশা এথেন্সৰ গোলাম এটাৰ পুত্ৰেকতকৈ অলপো বেছি নাই।"

মই এই উদ্ধৃতিটো দিছোঁ কাৰণ, আমি পাহৰিব পাৰোঁ যে কবিতা, সুন্দৰ ৰচনা আৰু সংস্কৃতি, সাধাৰণতে সম্পত্তিশালী শ্ৰেণীবিলাকৰ একচেটীয়া স্বত্ব। দুখীয়াৰ পঁজাত কবিতা আৰু সংস্কৃতিৰ প্ৰায় ঠাই নাই, সেইবিলাক উদং পেটৰ কাৰণে সৃষ্ট হোৱা নাই। সেই কাৰণে আমাৰ আধুনিক সংস্কৃতি সম্পত্তিশালী 'বুৰ্জোৱা" (মধ্যবিত্ত) মনৰ প্ৰতিবিম্ব হৈছে। যেতিয়া বেলেগ এটা সমাজ ব্যৱস্থাৰ দাৰিদ্ৰ্য প্ৰমিকে লব আৰু য'ত তেওঁ সংস্কৃতি উপভোগ কৰিবলৈ সুযোগ আৰু আজৰি পাব, তেতিয়া ইয়াৰ বিশদ পৰিবৰ্ত্তন হব পাৰে। বৰ্ত্তমান কালত চোভিয়েত ৰুচিয়াত হৈ থকা এনে এক প্ৰকাৰৰ পৰিবৰ্ত্তনলৈ সকলোৱে আগ্ৰহেৰে লক্ষ্য কৰি আছে।

ইয়াৰপৰা এই কথাটোও স্পষ্ট হৈছে যে ভাৰতবৰ্ষত যোৱা কেই পুৰুষত আমাৰ সংস্কৃতিৰ পিছলা অৱস্থাৰ ভালেখিনি আমাৰ মানুহবিলাকৰ অশেষ দাৰিদ্ৰ্যৰ কাৰণেই হৈছে। যিবিলাক মানুহৰ খাবলৈ একো নাই, তেওঁলোকক সংস্কৃতিৰ কথা কোৱা মানে তেওঁলোকক অপমান কৰা। ঘটনাক্ৰমে অলপীয়া সংখ্যাৰ যিবিলাক মানুহ আপেক্ষিকভাৱে সম্পত্তিশালী হৈছে, দাৰিদ্ৰ্যৰ এই অনিষ্টকাৰী শক্তিৰ প্ৰভাৱ তেওঁলোকৰ ওপৰতো পৰিছে। সেই কাৰণে দুৰ্ভাগ্যক্ৰমে ভাৰতবৰ্ষত এই শ্ৰেণী কেইটাও বৰ্ত্তমান কালত আচৰিত ধৰণে কুৰুচিসম্পন্ন। বিদেশী শাসন আৰু সমাজৰ অনুন্নত অৱস্থা কিমান হাজাৰ-বিজাৰ অনিষ্টৰ কাৰণে যে দায়ী। কিন্তু দেশ ব্যাপি থকা এই দাৰিদ্ৰ্য আৰু কুৰুচিৰ মাজতে ভাৰতবৰ্ষ এতিয়াও গান্ধী আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ দৰে শোভাকৰ লোকৰ আৰু সংস্কৃতিৰ চমৎকাৰ আদৰ্শৰ সৃষ্টি কৰিব পৰা হৈ আছে।

মই মোৰ বিষয়ৰ পৰা আঁতৰি গৈছোঁ।

শেলী অতি মৰম লগা মানুহ আছিল। যৌৱনৰ প্ৰাৰম্ভৰপৰা তেওঁ উদ্দীপনাপূৰ্ণ আছিল আৰু সকলো সম্পৰ্কতে তেওঁ বুদ্ধিৰ শ্ৰেষ্ঠ যোদ্ধা আছিল। তেওঁ 'নাস্তিকতাৰ প্ৰয়োজন' নামৰ ৰচনা এখন লিখাৰ বাবে তেওঁক অক্সফোৰ্ড কলেজৰপৰা বাহিৰ কৰি পঠিওৱা হৈছিল। কবিয়ে কেনেকৈ জীৱন চলায় বুলি ভবা হয়, তেনেকৈয়ে তেওঁ (আৰু কীট্‌চেও) পাখিৰ সহচৰবিলাকলৈ ভ্ৰুক্ষেপ নকৰাকৈ নিজৰ কল্পনাৰ মাজত আৰু আকাশত বাস কৰি তেওঁৰ চুটি জীৱনটো কটাইছিল।

কীট্‌চৰ মৃত্যুৰ এবছৰৰ পাছত ইটালীৰ উপকূলৰ ওচৰত তেওঁৰ পানীত ডুবি মৃত্যু হৈছিল। তেওঁৰ প্ৰখ্যাত কবিতাবিলাকৰ কথা মই তোমাক কোৱাৰ আৱশ্যক নাই; কাৰণ তুমি নিজে সেইবিলাক সহজে বিচাৰি লব পাৰিবা। কিন্তু মই তেওঁৰ বেছি চুটি কবিতা এটা তোমাক দিওঁ। এইটো কোনো প্ৰকাৰে তেওঁৰ আটাইতকৈ বেছি ভাল কবিতাবিলাকৰ এটা নহয়, কিন্তু ইয়াত আমাৰ বৰ্তমান সভ্যতাত দুখীয়া শ্ৰমিকৰ ভয় লগা ভাগ্যৰ কথা প্ৰকাশ কৰা হৈছে। প্ৰাচীন কালত গোলামবিলাক যেনে বেয়া অৱস্থাত আছিল, তেওঁলোকো প্ৰায় তেনে বেয়া অৱস্থাতে আছে। এশ বছৰতকৈও অধিক কালৰ আগতে এই কবিতাটো লিখা হৈছিল, তথাপি ই বৰ্তমান কালৰ অৱস্থাতো প্ৰযোজ্য হৈ আছে। ইয়াৰ নাম 'অৰাজকতাৰ সুধা'। ইয়াৰ ভাঙনি তলত দিয়াৰ দৰে হয়—

"মুক্তি কি? তোমালোকে কব পাৰা
অতি ভালকৈ দাসত্ব কি,
কাৰণ ইয়াৰ নামটোৱেই হৈছেগৈ
তোমালোকক পুৰাকৈ অনুকৰণ কৰি।
ইয়াৰ অৰ্থ কাম কৰা আৰু এনে মজুৰি পোৱা,
যি দিনে দিনে জীৱনটো সুমুৱাই ৰাখে
তোমালোকৰ অঙ্গত, যেন এটা আন্ধাৰ কোঠাত,
অত্যাচাৰী গৰাকীৰ ব্যৱহাৰৰ কাৰণে
এইদৰে তোমালোকক কৰা হয় তেওঁলোকৰ
তাঁতশাল, নাঙল, তৰোৱাল আৰু কোৰ,
তোমালোকক সৈমান কৰি বা নকৰাকৈ,
তেওঁলোকৰ নিৰাপত্তা আৰু পৰিপুষ্টিৰ কাৰণে।
ইয়াৰ অৰ্থ তোমালোকৰ ল'ৰা-ছোৱালীক দুৰ্বল দেখা,
শুকাই-খীণাই যোৱা ৰুগীয়া মাকহঁতৰ লগত,
যেতিয়া জাৰকালি ঠেৰেঙা লগোৱা বতাহ বলে—
মই কথা কৈ থাকোঁতে তেওঁলোক মৰি আছে।
ইয়াৰ অৰ্থ এনে আহাৰ পাবলৈ লালসা কৰা
যাক ধনীয়ে তেওঁলোকৰ অমিতাচাৰী ভোজত
তেওঁলোকৰ ভৰিৰ কাষত অতিৰিক্তকৈ খাই পৰি থকা
নোদোকা কুকুৰবোৰক দলিয়াই দিয়ে।
ইয়াৰ অৰ্থ আত্মাত গোলাম হোৱা,
কোনো দৃঢ় সংযম নৰখা
তোমালোকৰ ইচ্ছাৰ ওপৰত, কিন্তু আনে
তোমালোকক যেনে কৰে তেনে হোৱা।
আৰু অৱশেষত যেতিয়া তোমালোকে আপত্তি কৰা
দুৰ্বল আৰু নিষ্ফল ভোৰ-ভোৰণিৰে,
তেতিয়া ইয়াৰ অৰ্থ হয় অত্যাচাৰী গৰাকীৰ সৈন্যৰ দলবোৰে,
তোমালোকৰ আৰু তোমালোকৰ গৃহিণীসকলৰ ওপৰত
আধিপত্য কৰা দেখা—
নিয়ৰৰ দৰে ঘাঁহনিবিলাকৰ ওপৰত তেজ হয়।"

বাইৰণেও মুক্তিৰ গুণ প্ৰকাশ কৰা মনোমোহা কবিতা লিখিছে, কিন্তু তেওঁৰ মুক্তি জাতীয় মুক্তি, অৰ্থনৈতিক মুক্তি নহয়। শেলীৰ মৃত্যুৰ দুবছৰৰ পাছত তুৰস্কৰ বিৰুদ্ধে গ্ৰীকবিলাকে চলোৱা মুক্তিৰ জাতীয় যুদ্ধত তেওঁৰ মৃত্যু হৈছিল, এই বিষয়ে মই তোমাক আগতে কৈছোঁ। মানুহ স্বৰূপে বাইৰণৰ প্ৰতি মোৰ এক প্ৰকাৰৰ বিৰূপ ধাৰণা আছে, তথাপি, তেওঁৰ প্ৰতি মোৰ বন্ধু ভাব আছে, কাৰণ তেওঁ মোৰ স্কুল আৰু কলেজ হেৰো স্কুল আৰু কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজলৈ গৈছিল নাছিলনে? কীট্‌ছ আৰু শেলীৰ লগত নিবিলাকে তেওঁ ডেকাকালত বন্ধুত্ব লাভ কৰিছিল আৰু 'লণ্ডনচচাইটি' নামৰ সমাজখনে তেওঁক অসাধাৰণভাৱে সাহসী মানুহৰ শ্ৰেণীলৈ তুলিছিল, কিন্তু পিছত সেই সমাজখনেই তেওঁক তললৈ নমাইছিল।

প্ৰায় এই সময়তে আন দুজন সুবিখ্যাত কবি আছিল, দুয়োজনেই এই যুৱক তিনিজনতকৈ বহুত বেছি দিন জীৱিত আছিল। ৱৰ্ডচ্‌ৱৰ্থ ১৭৭০খ্ৰীঃৰ পৰা ১৮৫০ খ্ৰীঃলৈ ৮০ বছৰ জীৱিত আছিল, তেওঁক শ্ৰেষ্ঠ ইংৰাজ কবিসকলৰ ভিতৰত এজন বুলি বিবেচনা কৰা হয়। তেওঁ প্ৰকৃতিক বৰ ভাল পাইছিল আৰু তেওঁৰ বহুত কবিতাই প্ৰকৃতি বিষয়ৰ কবিতা। আনজন কবি আছিল কলেৰিজ, তেওঁৰ কেইটামান কবিতা বৰ ভাল।

১৯শ শতাব্দীৰ আগভীয়া ভাগত তিনিজন বিখ্যাত উপন্যাসিকৰো উদ্ভৱ হৈছিল। ৱাল্টাৰ স্কট তেওঁলোকৰ ভিতৰত বয়সত ডাঙৰ আছিল, তেওঁৰ বেভালি উপন্যাসবিলাক বৰ জনপ্ৰিয় আছিল। মই অনুমান কৰিছোঁ তুমি সেইবিলাকৰ কেইখন মান পঢ়িছা। মোৰ মনত পৰে মই ল'ৰা হৈ থাকোতে, সেইবিলাক ভাল পাইছিলোঁ, কিন্তু মানুহৰ বয়স বঢ়াৰ লগে লগে স্পৃহাৰ পৰিৱৰ্ত্তন হয় আৰু মই নিশ্চয়কৈ জানো যে এতিয়া যদি মই সেইবিলাক পঢ়ো, তেনেহলে সেইবিলাকে মোক আমনি লগাব। আন দুজন উপন্যাসিক আছিল ঠেকাৰে আৰু ডিকেন্স্। মই ভাবোঁ যে দুয়ো জনেই স্কটতকৈ বহুত শ্ৰেষ্ঠ। মই আশা কৰিছোঁ যে দুয়ো জনেই তোমাৰ বন্ধু। ১৮১১খ্ৰীঃত কলিকতাত ঠেকাৰেৰ জন্ম হৈছিল আৰু ইয়াত তেওঁ পাঁচ কি ছয় বছৰ কাল কটাইছিল। তেওঁৰ কেইখনমান কিতাপত ভাৰতীয় নবাববিলাকৰ অৰ্থাৎ ভাৰতবৰ্ষত বিবিলাক ইংৰাজে বিৰাট সম্পত্তি গোটাই লৈ মোলোকা আৰু বঙাল হৈ স্ফূৰ্ত্তিত জীৱন কটাবলৈ ইংলেণ্ডলৈ উভটিছল, তেওঁলোকৰ স্বৰূপ বৰ্ণনা আছে।

১৯শ শতাব্দীৰ আগভীয়া ভাগৰ লিখকবিলাকৰ বিষয়ে মই বিমান খিনি লেখিবলৈ মন কৰিছিলোঁ, সেইখিনি ইমানেই। এটা ডাঙৰ বিষয় সম্পৰ্কে এইখিনি হাঁহি উঠাকৈ কম। বিষয়টোৰ সম্পৰ্কে জনা মানুহ এজনে এই বিষয়ে মনোমোহাকৈ লিখিব পাৰিলেহেঁতেন; কিন্তু নিঃসন্দেহে তোমাক সেই যুগৰ সঙ্গীত আৰু কলাৰ বিষয়েও বহুত কব পাৰিলোহেঁতেন। এই সকলোবিলাক কবলগীয়া আৰু জানিব-লগীয়া কথা, কিন্তু মই সিমানৰ মানুহ নহওঁ, সেই কাৰণে মই সুবিবেচনাৰে মই ভালকৈ জনাখিনিতে আবদ্ধ থাকিম।

গেটেৰ 'ফাউষ্ট'ৰ এটা কবিতাৰে মই এই চিঠি শেষ কৰিম, অৱশ্যে ই জাৰ্মাণ ভাষাৰপৰা ইংৰাজীলৈ অনুবাদ কৰা। কবিতাটোৰ ভাঙনি এনে হয়:—

"হাঁয়, হাঁয়!

তুমি পৃথিৱীখনক আহত কৰিলা,

তুমি ইয়াক তললৈ পেলালা,
ভাঙি খণ্ড খণ্ড কৰি, বগৰাই পেলাই ইয়াক
শূন্যতাৰ মাজলৈ দলিয়াই পেলোৱা হ'ল
উপ-দেৱতা এজনৰ আঘাতৰদ্বাৰা
ইয়াক গুড়ি কৰা হ'ল ।
পৃথিৱীখনৰ ভঙা খণ্ডবিলাক লৈ
আমি দূৰলৈ যাওঁ,
হাঁয় ! আমি গান গাওঁ
হেৰোৱা মাধুৰ্যৰ
হত্যা কৰা সৌন্দৰ্যৰ ।
পৃথিৱীৰ শ্ৰেষ্ঠ সন্তান,
পুনৰ ইয়াক সাজা
তোমাৰ নিজৰ বুকুত ওখকৈ ইয়াক সাজা ।
আকৌ এবাৰ তোমাৰ জীৱন চলোৱা ;
আকৌ খেলাটো চলোৱা !
উচ্চ স্বৰত আৰু স্পষ্টকৈ
আগৰ সকলো কালতকৈ বেছি মধুৰ সুৰ এটা
চাৰিও ফালে প্ৰতিধ্বনিত হওঁক !"

১৩০

ডাৰউইন আৰু বিজ্ঞানৰ জয়োল্লাস

৩ ফেব্ৰুৱাৰী, ১৯৩৩

কবিসকলক এৰি আমি বৈজ্ঞানিকসকলৰ ওচৰলৈ যাওঁহক। মোৰ শঙ্কা হয় যে কবিসকলক এতিয়াও বৰং অকামিলা জীৱ বুলিয়েই বিবেচনা কৰা হয়, কিন্তু বৈজ্ঞানিকসকল আজিৰ যুগত অদ্ভুত কাম কৰোঁতা, আৰু তেওঁলোকৰ প্ৰভাৱ আৰু সন্মান আছে। ১৯শ শতাব্দীৰ পূৰ্বে তেনে নাছিল, তাৰ আগৰ শতাব্দীবিলাকত য়ুৰোপত বৈজ্ঞানিক জীৱন বিপদগ্ৰস্ত আছিল আৰু কোনো কোনো সময়ত তেওঁলোকক খুঁটিত বান্ধি পুৰি মাৰি তেওঁলোকৰ জীৱনৰ অন্ত পেলোৱা হৈছিল। ধৰ্ম্ম-যাজকসকলে কেনেকৈ জিওৰ্ডানো ব্ৰুনোক এইদৰে ৰোমত পুৰি মাৰিছিল তাৰ কথা মই আগতে তোমাক কৈছোঁ। তাৰ কেইবছৰ মানৰ পাচত ১৭শ শতাব্দীত গেলিলিওই পৃথিৱীখন সূৰ্যৰ চাৰিওফালে ঘূৰে বুলি কোৱাৰ কাৰণে তেৰেঁা সেইদৰে বলিশাললৈ যোৱাৰ সম্ভাৱনা হৈছিল। তেওঁ ধৰ্মবিৰোধী মতৰ কাৰণে অগ্নিদগ্ধ হোৱাৰপৰা ৰক্ষা পৰিছিল কাৰণ তেওঁ দোষ স্বীকাৰ কৰি ক্ষমা-প্ৰাৰ্থনা কৰিছিল আৰু তাৰ আগেয়ে কৰা উক্তি বাতিল কৰিছিল। এইদৰে ইয়ুৰোপত ধৰ্ম-যাজকবিলাকৰ লগত সদায় বিজ্ঞানৰ সংঘৰ্ষ হৈছিল আৰু তেওঁ-লোকে নতুন ভাববিলাক দমন কৰিবলৈ চেষ্টা কৰিছিল। ইয়ুৰোপত বা আন সকলোতে সংগঠিত ধৰ্মত সেই ধৰ্মৰ অঙ্গ স্বৰূপে লৰচৰ কৰিব নোৱাৰা নানা বিধান থাকে, সেই ধৰ্মৰ মানুহবিলাকে সেই বিধানবিলাক নিঃসন্দেহে আৰু নিৰ্বিচাৰে গ্ৰহণ কৰে বুলি ভাবি লোৱা হয়। বিজ্ঞানে সকলো কথাকে বৰ বেলেগ পদ্ধতিৰে চায়। ই একোকে স্বতঃসিদ্ধ বুলি নেমানে আৰু ইয়াৰ লৰচৰ কৰিব নোৱাৰা বিধান নাই নাইবা থকা উচিত নহয়। ই মনটো মুকলি কৰি ৰখাত উৎসাহ দিব খোজে আৰু বাৰে বাৰে পৰীক্ষা চলাই ই সত্যত উপনীত হবলৈ চেষ্টা কৰে। এই দৃষ্টিভঙ্গী স্পষ্টভাৱেই ধাৰ্মিক দৃষ্টিভঙ্গীতকৈ বৰ বেলেগ, সেই কাৰণে এই দুয়োটাৰ মাজত যে সঘনে সংঘৰ্ষ হৈছিল তাত আচৰিত হব-লগীয়া একো নাই।

মই ভাবোঁ যে সকলো যুগতে বিভিন্ন জাতিৰ মানুহে নানা বিধৰ পৰীক্ষা চলাই আহিছে। সাধাৰণতে বিশ্বাস কৰা হয় যে প্ৰাচীন ভাৰতবৰ্ষত ৰসায়ন বিজ্ঞান আৰু

অস্ত্র চিকিৎসাৰ ভালকৈ উন্নতি হৈছিল। বহুত পৰীক্ষা চলোৱাৰ পাচতহে নিশ্চয় এনে হব পাৰিছিল। প্ৰাচীন গ্ৰীক্‌সকলেও কিছুপৰিমাণে পৰীক্ষা চলাইছিল। চীনা-সকলৰ বিষয়ে মই অলপ দিনৰ আগতে এটা আচৰিত বিৱৰণী পঢ়িছিলোঁ, তাত ১৫00 বছৰৰ পূৰ্বৰ চীনা লিখকৰ লিখাৰ উদ্ধৃতি কিছুমান আছে। সেইবিলাকৰপৰা জনা গৈছে যে তেওঁলোকে ক্ৰমবিকাশৰ তথ্য আৰু শৰীৰত তেজ চলাচলৰ তথ্য জানিছিল আৰু চীনা অস্ত্র-চিকিৎসকে অনুভৱ শক্তি ৰহিত কৰা পদাৰ্থ প্ৰয়োগ কৰিছিল। কিন্তু এই বিষয়ে ন্যাৰ্য প্ৰমাণ থকা সিদ্ধান্ত কৰিব পৰাকৈ আমি সেই কালৰ কথা যথেষ্ট পৰিমাণে নেজানো। যদি প্ৰাচীন সভ্যতাবিলাকে এইবিলাক পদ্ধতি আৱিষ্কাৰ কৰিছিল, পিচত এইবিলাক তেওঁলোকে কিয় পাহৰিলে? আৰু তেওঁলোকে কিয় বেছি উদগতি কৰিব নোৱাৰিলে। নাইবা এনে হৈছিল নেকি যে এই প্ৰক.ৰৰ প্ৰগতিত তেওঁলোকে যথেষ্ট প্ৰাধান্য নিদিছিল? বহুতো কৌতুহল জনক প্ৰশ্নৰ উদয় হয়, কিন্তু সেইবিলাকৰ উত্তৰ দিবলৈ আমাৰ সামগ্ৰী নাই।

আৰবসকলে পৰীক্ষা চলাবলৈ বৰ ভাল পাইছিল আৰু মধ্যযুগৰ ইয়ুৰোপে তেওঁলোকক অনুসৰণ কৰিছিল। কিন্তু তেওঁলোকে চলোৱা পৰীক্ষাবিলাক প্ৰকৃততে বৈজ্ঞানিক নাছিল। তেওঁলোকে সদাই 'স্পৰ্শ-পাথৰ' নাম পোৱা বস্তুটোৰ অন্বেষণ কৰি আছিল, সাধাৰণ ধাতুবিলাকক সোণলৈ পৰিৱৰ্তন কৰা ইয়াৰ গুণ আছিল বুলি ভবা হৈছিল। এইদৰে ধাতুক পৰিৱৰ্তন কৰাৰ ৰহস্যটো উলিয়াবৰ কাৰণে মানুহে জটিল ৰাসায়নিক পৰীক্ষা চলাই তেওঁলোকৰ জীৱন অতিবাহিত কৰিছিল। ইয়াক 'এলকেমি' (ৰসায়ণৰ পূৰ্বাৱস্থা) বোলা হৈছিল। তেওঁলোকে বৰ পুৰুষাৰ্থ কৰি অমৰত্ব দিব পৰা 'অনন্ত জীৱনৰ আৰক' বা অমৃত নামৰ এবিধ পদাৰ্থৰো অন্বেষণ কৰিছিল। সাধুকথাত পোৱাৰ বাহিৰে কোনোৱে কেতিয়াবা এই অমৃত নাইবা এই বিখ্যাত পাথৰ ডোখৰ উলিয়াব পৰাৰ প্ৰমাণ নাই। আচলতে সম্পত্তি, ক্ষমতা, আৰু দীৰ্ঘায়ু লাভ কৰাৰ আশাত ই এক প্ৰকাৰৰ ভোজ বাজীৰ চৰ্চা আছিল। বিজ্ঞানৰ ভাব-গতিৰ লগত ইয়াৰ একো সম্বন্ধ নাছিল। ভোজবাজী, সৰৱজানৰ কৌশল আদিৰ লগত বিজ্ঞানৰ একো সম্পৰ্ক নাই।

পিছে প্ৰকৃত বৈজ্ঞানিক পদ্ধতিটোৰ ইয়ুৰোপত ক্ৰমে ক্ৰমে উন্নয়ন হৈছিল আৰু বিজ্ঞানৰ বুৰঞ্জীত ইংৰাজ চাৰ আইজাক নিউটনৰ নামটো আটাইতকৈ শ্ৰেষ্ঠ নাম-বিলাকৰ ভিতৰত আছে। তেওঁ ১৬৪২ খ্ৰীঃৰ পৰা ১৭২৭ খ্ৰীঃলৈ জীৱিত আছিল। নিউটনে মধ্যাকৰ্ষণৰ—অৰ্থাৎ কেনেকৈ বস্তু তললৈ পৰে তাৰ বিধানটো ব্যাখ্যা কৰিছিল। এই বিধানেৰে আৰু তেওঁ আৱিষ্কাৰ কৰা আন কেইটামান বিধানৰে তেওঁ সূৰ্য আৰু আনবিলাক গ্ৰহৰ গতি ব্যাখ্যা কৰিছিল। সকলোৰে সকলো কথা তেওঁৰ তথ্যৰদ্বাৰা ব্যাখ্যা কৰিব পৰা হৈছিল যেন লাগিছিল আৰু তেওঁ শ্ৰেষ্ঠ সন্মান লাভ কৰিছিল।

বিজ্ঞানৰ আওভাবে ধৰ্ম-যাজকৰ আকোঁৱগোঁজ আওভাওৰ ওপৰত আধিপত্য কৰিবলৈ লৈছিল। ইয়াক দমাই ৰাখিব পৰা নহৈছিল নাইবা ইয়াৰ উপাসকসকলক বলিশাললৈ পঠিয়াব পৰা নহৈছিল। বহুতো বৈজ্ঞানিকে ধৈৰ্যৰে কাম কৰি পৰীক্ষা চলাই তথ্য চলাই তথ্য আৰু জ্ঞান সংগ্ৰহ কৰিছিল, বিশেষকৈ ইংলেণ্ড আৰু ফ্ৰান্সত আৰু পাচত জাৰ্মাণী আৰু আমেৰিকাত এনে কৰা হৈছিল। এইদৰে বৈজ্ঞানিক

জ্ঞানৰ মুঠ সমষ্টি বাঢ়িছিল। তোমাৰ মনত পৰিব ১৮শ শতাব্দীটোত ইউৰোপৰ শিক্ষিত শ্ৰেণীবিলাকৰ মাজত যুক্তি-বাদ বিস্তৃত হৈছিল। এই শতাব্দীটো আছিল ভল্টেয়াৰ, ৰুচো আৰু আন আন বহুতো শক্তিশালী ফৰাচীলোকৰ যুগটো, তেওঁলোকে সকলো প্ৰকাৰৰ বিষয়ে লিখি জনসাধাৰণৰ মাজত উত্তেজনাৰ সৃষ্টি কৰিছিল। ফৰাচী বিপ্লৱটোক এই শতাব্দীতে উৰুলি দিয়া হৈছিল। এই যুক্তি-বাদী দৃষ্টি ভঙ্গী বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ লগত খাপ খাইছিল আৰু দুয়ো ধৰ্মযাজকৰ মতগৰ্বী দৃষ্টিভঙ্গীৰ বিৰোধী আছিল।

তোমাক আগতে কৈছোঁ যে ১৯শ শতাব্দীটো আন আন কথাৰ লগতে বিজ্ঞানৰ শতাব্দী আছিল। শিল্প বিপ্লৱ, যান্ত্ৰিক-বিপ্লৱ আৰু পৰিবহনৰ পদ্ধতিবিলাকৰ বিস্ময়কৰ পৰিবৰ্ত্তন এই সকলোবিলাক বিজ্ঞানৰ ফলত হৈছিল। অসংখ্য কাৰখানা-বিলাকে উৎপাদনৰ পদ্ধতিবিলাক পৰিবৰ্ত্তিত কৰিছিল, ৰেলপথ আৰু বাষ্পীয় জাহাজে হঠাৎ পৃথিৱীখন ঠেক কৰিলে, বিজুলী টেলিগ্ৰাফ এই সকলোবিলাকতকৈও বেচি বিস্ময়কৰ আছিল। ইংলেণ্ডৰ সুদূৰ প্ৰসাৰী সাম্ৰাজ্যবাদৰ সেই দেশলৈ উভৈনদীকৈ সম্পত্তি গৈছিল। স্বাভাৱিকতে এই অৱস্থাই প্ৰাচীন ভাৱবিলাকৰ বাদ লবাইছিল, ধৰ্মৰ কৰ্ত্তৃত্ব কমিছিল। মাটিবৃত্তি চলোৱা কৃষকৰ জীৱনৰ তুলনাত কাৰখানা চলোৱা জীৱনে মানুহক ধৰ্মৰ নিৰ্দ্ধাৰিত মতবিলাকতকৈ অৰ্থনৈতিক সম্পৰ্কবিলাকৰ বিষয়ে বেছিকৈ ভাবিব লগা কৰিছিল।

শতাব্দীটোৰ মাজ ভাগত ১৮৫৯ খ্ৰীঃত ইংলেণ্ডত এখন কিতাপ প্ৰকাশ কৰা হৈছিল, এই কিতাপ খনে সংস্কাৰাচ্ছন্ন দৃষ্টিভঙ্গী আৰু বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ মাজত থকা সংঘৰ্ষটো চূড়ান্ত পৰ্য্যায়লৈ তুলিছিল। এই কিতাপখন আছিল চাৰ্লছ্ ডাৰউইনৰ 'অৰিজিন অৱ স্পেচিজ' (বিভিন্ন শ্ৰেণীৰ প্ৰাণীৰ উৎপত্তি)। ডাৰউইন অতি শ্ৰেষ্ঠ বৈজ্ঞানিকসকলৰ ভিতৰত এজন নহয়, তেওঁ যি কৈছিল তাত সম্পূৰ্ণ নতুন কথা একো নাছিল। ডাৰউইনৰ আগেয়ে আন ভূতত্ত্ববিদ্ আৰু পদাৰ্থতত্ত্ববিদসকলে কাম চলাই বহুতো সামগ্ৰী সংগ্ৰহ কৰিছিল। তথাপি ডাৰউইনৰ কিতাপখন যুগান্ত-কাৰী আছিল, ই মানুহৰ মনত গভীৰ সাঁচ বহুৱাইছিল আৰু সামাজিক দৃষ্টিভঙ্গীৰ পৰিবৰ্ত্তনত ই আন সকলো বৈজ্ঞানিক গ্ৰন্থতকৈ বেছি সহায় কৰিছিল। ইয়াৰ ফলত মানসিক ভূমিকম্প হৈছিল আৰু ই ডাৰউইনক বিখ্যাত কৰিছিল।

ডাৰউইনে পদাৰ্থতত্ত্ববিদ স্বৰূপে উত্তৰ আমেৰিকা আৰু প্ৰশান্ত মহাসাগৰত ভ্ৰমণ কৰি বিৰাট পৰিমাণৰ সামগ্ৰী আৰু মূল সূত্ৰ সংগ্ৰহ কৰিছিল। জন্তুৰ প্ৰত্যেক শ্ৰেণীয়ে কেনেকৈ প্ৰাকৃতিক নিৰ্ব্বাচনদ্বাৰা পৰিবৰ্ত্তিত আৰু উন্নীত হৈছিল, তাক প্ৰমাণ কৰি দেখুৱাত তেওঁ সেইবিলাক ব্যৱহাৰ কৰিছিল। সেই কালৰ আগলৈকে বহুতো মানুহে ভাবিছিল যে মানুহকে আদি কৰি প্ৰত্যেক শ্ৰেণী বা জাতিৰ জন্তু বেলেগ বেলেগকৈ ঈশ্বৰে সৃষ্টি কৰিছিল আৰু সেইবিলাক সৃষ্টি কৰা কালৰ পৰা পৃথক পৃথককৈ আৰু অপৰিৱৰ্ত্তনীয় হৈ আছিল, অৰ্থাৎ এটা শ্ৰেণী আন এটা শ্ৰেণীলৈ পৰিবৰ্ত্তিত হব নোৱাৰিছিল। ডাৰউইনে অসংখ্য বাস্তৱ উদাহৰণেৰে দেখুৱাইছিল যে একোটা-শ্ৰেণী আন একোটা শ্ৰেণীলৈ পৰিবৰ্ত্তিত হৈছিল আৰু এইটোৱেই ক্ৰমবৰ্দ্ধনৰ স্বাভাৱিক পদ্ধতি আছিল। প্ৰাকৃতিক নিৰ্ব্বাচনদ্বাৰা এই পৰিবৰ্ত্তনবিলাক সংঘটিত হৈছিল। কোনো এটা শ্ৰেণীত হোৱা সামান্য অৱস্থাই

যদি ঘটনাক্রমে সেই শ্রেণীটোক আনবিলাক শ্রেণীতকৈ সৰহদিন জীয়াই থকাত কোনো প্রকাৰে সহায় কৰিছিল, তেনেহেলে সেই তাৰাতম্যবপৰা সেই শ্রেণীটোত ক্রমে ক্রমে স্থায়ী পৰিৱৰ্ত্তন হৈছিল, কাৰণ এইদৰে বেলেগ ৰূপ লোৱা শ্রেণীটোৰ বেছি প্রাণী স্বাভাৱিকতে জীৱিত থাকিব পাৰিছিল। কিছুকালৰ পাছত এই বেলেগ ৰূপ লোৱা শ্রেণীটো সংখ্যা গৰিষ্ঠ হৈ ই সেই শ্রেণীৰ আনবিলাকক তল পেলাইছিল। এইদৰে ধীৰে ধীৰে এটাৰ পাছত আনটোকৈ পৰিৱৰ্ত্তন আৰু তাৰতম্য হৈছিল আৰু কিছুকালৰ পিছত নতুন এটা শ্রেণীৰ উদ্ভৱ হৈছিল। এই-দৰে কালক্রমে প্রাকৃতিক নির্বাচনদ্বাৰা যোগ্যতমৰ অৱস্থিতৰ পদ্ধতিত বহুতো নতুন শ্রেণীৰ উদ্ভৱ হৈছিল। উদ্ভিদ, জন্তু আৰু আনকি মানুহতো ইয়াৰ প্রয়োগ তথ্য মতে এনে হোৱা সম্ভৱ যে উদ্ভিদ আৰু জন্তুৰ যিবিলাক বিভিন্ন শ্রেণী আমি বৰ্ত্তমান কালত দেখিছোঁ সেই সকলোবিলাকৰ একে আদি পুৰুষ আছিল।

কেইবছৰমানৰ পাচত ডাৰুইনে 'ডিচেণ্ট অব মেন' (মানুহৰ ক্রমোন্নতি) নামৰ আন এখন কিতাপ প্রকাশ কৰিছিল, তাত তেওঁৰ নিজৰ তথ্যটো মানুহত প্রয়োগ কৰিছিল। ক্রমবিকাশ আৰু প্রাকৃতিক নির্বাচনৰ এই মতটো এতিয়া সৰহভাগ মানুহে গ্রহণ কৰিছে, যদিও ডাৰুইন আৰু তেওঁৰ অনুগামীসকলে যিদৰে ইয়াক ব্যাখ্যা কৰিছিল এতিয়া ঠিক সেইদৰে ইয়াক গ্রহণ কৰা নহয়। প্রকৃত-পক্ষে নির্বাচনৰ এই নীতিটো জন্তুৰ প্রজননত আৰু ফল আৰু ফুলৰ উৎপাদনত কৃত্রিম প্রয়োগ অতি সাধাৰণভাৱে চলিছে। বৰ্ত্তমান কালত শ্রেষ্ঠতা লাভ কৰা বহুতো জন্তু আৰু উদ্ভিদ জাতীয় উৎপাদন কৃত্রিমভাৱে সৃষ্টি কৰা নতুন শ্রেণী। যদি মানুহে আপেক্ষিকভাৱে কম সময়ৰ ভিতৰতে এনে পৰিৱৰ্ত্তন আৰু নতুন শ্রেণীৰ সৃষ্টি কৰিব পাৰে তেনেহলে প্রকৃতিয়ে লাখ লাখ বা কোটি কোটি বছৰৰ ভিতৰত এই সম্পৰ্কত কি কৰিব নোৱাৰিছিল? পদাৰ্থ বিজ্ঞানৰ কোনো এটা সংগ্রহালয় যেনে লণ্ডনৰ দক্ষিণ কেনচিংটন সংগ্রহালয়, চাবলৈ গলে আমি দেখা পাওঁ কেনেকৈ উদ্ভিদ আৰু জন্তুৱে অবিৰতভাৱে প্রকৃতিৰ লগত নিজক খাপ খুৱাই আছে।

এতিয়া এই আটাইবিলাক কথা আমাৰ কাৰণে তেনেই সহজতে বুজিব পৰা হৈছে। কিন্তু ৭০ বছৰৰ পূৰ্বে এইবিলাক তেনেদৰে সহজতে বোধগম্য নাছিল। সেই কালত ইয়ুৰোপত সৰহ ভাগ মানুহে খ্রীষ্টৰ জন্মৰ ঠিক ৪০০৪ বছৰৰ পূৰ্বে বাইবেলত দিয়া পৃথিৱীৰ সৃষ্টিৰ আৰু প্রত্যেক বিধ উদ্ভিদ আৰু জন্তু বেলেগ বেলে-গকৈ সৃষ্টি কৰাৰ আৰু সৰ্বশেষত মানুহ সৃষ্টি কৰাৰ বৰ্ণনাত বিশ্বাস কৰিছিল। তেওঁলোকে 'প্রলয়'ত আৰু 'নোৱাৰ নাওঁ'ত আৰু কোনো শ্রেণীৰ প্রাণী লুপ্ত নহবৰ কাৰণে সেই নাৱত বিভিন্ন জন্তুৰ যোৰ যোৰকৈ মতা মাইকী নিয়াৰ কথাত বিশ্বাস কৰিছিল। এইসকলোবিলাক ডাৰুইনৰ তথ্যৰ লগত খাপ নেখাইছিল। ডাৰুইন আৰু ভূতত্ত্ববিদসকলে পৃথিৱীৰ বয়স বহুত নিযুত বুলি কৈছিল, সামান্য ৬০০০ বছৰ বুলি নকৈছিল। সেই কাৰণে স্ত্রী-পুৰুষ সকলো মানুহৰ মনত ভয়ঙ্কৰ সংঘাত হৈছিল আৰু বহুতো সজ লোকে কি কৰা উচিত তাৰ উৱাদিহ নেপাইছিল। তেওঁলোকক পুৰণিকলীয়া প্রত্যয়ে এক প্রকাৰে বিশ্বাস কৰিবলৈ কৈছিল আৰু তেওঁলোকৰ যুক্তিয়ে আন প্রকাৰে কৈছিল। যেতিয়া

মানুহে চকু মুদি প্ৰতিষ্ঠিত মতত বিশ্বাস কৰে আৰু যেতিয়া সেই প্ৰতিষ্ঠিত মতত আঘাত লাগে তেতিয়া তেওঁলোকে নিজক নিৰাশ্ৰয়, দুৰ্দশাগ্ৰস্ত আৰু অৱলম্বনহীন যেন অনুভৱ কৰে। কিন্তু যি আঘাতে আমাক বাস্তৱতা উপলব্ধি কৰায়, সি ভাল।

এইদৰে ইংলেণ্ডত আৰু ইয়ুৰোপৰ আন আন ভাগতো বিজ্ঞান আৰু ধৰ্মৰ মাজত দুৰ্ঘোৰ তৰ্ক আৰু দুৰ্ঘোৰ সংঘৰ্ষ হৈছিল। তাৰ পৰিণামৰ সম্পৰ্কত সন্দেহৰ থল থাকিব নোৱাৰিছিল। উদ্যোগ আৰু যান্ত্ৰিক পৰিবহনৰ নতুন পৃথিৱীখনে বিজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰিছিল, সেই কাৰণে বিজ্ঞানক আগ্ৰাহ্য কৰিব পৰা নহৈছিল। সকলো ক্ষেত্ৰতে বিজ্ঞানৰ জয় হৈছিল আৰু 'প্ৰাকৃতিক নিৰ্বাচন' আৰু 'যোগ্যতমৰ অৱস্থিতি' মানুহবিলাকৰ সাধাৰণ যেবেৰিবাং কথাৰ মাজতো সোমাইছিল, কিন্তু এই বাক্যাংশ দুটাই কি বুজাইছিল তাক সম্পূৰ্ণে বুজি নোপোৱাকৈয়ে তেওঁলোকে ইংগিতক ব্যৱহাৰ কৰিছিল। ডাৰ্বিনে 'মানুহৰ ক্ৰমোন্নতি'ত পৰামৰ্শ দিছিল যে সম্ভৱতঃ মানুহৰ আৰু কিছুমান নেজ নথকা বান্দৰৰ পূৰ্ব পুৰুষ একে আছিল। ক্ৰমবৰ্ধনৰ পদ্ধতিৰ বিভিন্ন স্তৰৰ উদাহৰণ দেখুৱাই এই কথা প্ৰমাণ কৰিব পৰা নহৈছিল। তাৰ পৰা 'মিছিং লিঙ্ক'ৰ জনপ্ৰিয় ইতিকিংটোৰ উৎপত্তি হৈছিল। অতি আচৰিত কথা যে শাসক শ্ৰেণীবিলাকে ডাৰ্বিনৰ তথ্যটো তেওঁলোকৰ কাৰণে সুবিধাজনক হোৱাতো তাৰ বিকৃত অৰ্থ কৰিছিল আৰু তেওঁলোকৰ দৃঢ়বিশ্বাস হৈছিল যে এই তথ্যটোৱে তেওঁলোকৰ শ্ৰেষ্ঠত্বৰ আন আন এটা প্ৰমাণ যোগাইছিল। জীৱন সংগ্ৰামত জীয়াই থাকিবৰৈ তেওঁলোকেই যোগ্যতম আছিল। সেই কাৰণে 'প্ৰাকৃতিক নিৰ্বাচন'ৰ দ্বাৰা তেওঁলোকে শীৰ্ষ স্থান পাইছিলগৈ আৰু সেইকাৰণেই তেওঁলোক শাসক শ্ৰেণী হৈছিল। এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত আধিপত্য কৰাৰ নাইবা এটা জাতিৰ আন এটা জাতিক শাসন কৰাৰ ই এটা উপযুক্ত অজুহাত হৈছিল। সাম্ৰাজ্যবাদৰ আৰু শ্বেতকায় জাতিৰ প্ৰাধান্যৰ ই চূড়ান্ত যুক্তি হৈছিল আৰু পাশ্চাত্য দেশবিলাকৰ বহুতো মানুহে ভাবিছিল যে তেওঁলোক যিমান বেছিকৈ প্ৰভুত্বশীল হব, সিমান বেছিকৈ নিষ্ঠুৰ আৰু শক্তিশালী হব; সিমান বেছিকৈ তেওঁলোক মানৱীয় মৰ্যাদাৰ জখলাৰ ওখ খাপলৈ উঠিব পৰাৰ সম্ভাৱনা হব। এইটো আনন্দদায়ক দৰ্শন নহয়, কিন্তু পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিবিলাকে এচিয়া আৰু আফ্ৰিকাত আচৰণ ই কিছু পৰিমাণে ব্যাখ্যা কৰিছে।

পিছৰ কালৰ আন বৈজ্ঞানিকসকলে ডাৰ্বিনৰ তথ্যবিলাকৰ বিৰূপ সমালোচনা কৰিছে, কিন্তু তেওঁৰ মূলভাৱবিলাক এতিয়াও চলি আছে। তেওঁৰ তথ্যবিলাক সাধাৰণ ভাবে গ্ৰহণ কৰাৰ এটা ফল হৈছিল মানুহক প্ৰগতিৰ ভাবটোত বিশ্বাস লগোৱা। ইয়াৰ অৰ্থ হৈছিল এই যে মানুহ, সমাজ আৰু সমস্ত পৃথিৱীখন পৰিপূৰ্ণতাৰ কাললৈ গতি কৰি গৈ আছে আৰু ক্ৰমে বেছি বেছিকৈ ভাল হৈছে। প্ৰগতিৰ এই ভাবটো অকল ডাৰ্বিনৰ তথ্যৰে ফল নাছিল। বৈজ্ঞানিক আৱিষ্কাৰ সমগ্ৰ দিশটোৱে আৰু শিল্প বিপ্লৱে ঘটোৱা আৰু তাৰ পাছৰ কালৰ ঘটা পৰিৱৰ্তন বিলাকে মানুহৰ মন ইয়াৰ কাৰণে সাজু কৰিছিল। ডাৰ্বিনৰ তথ্যই ইয়াক সাব্যস্ত কৰিছিল আৰু মানুহে ভাবিবলৈ ধৰিছিল যে তেওঁলোকে এটাৰ পাচত আনটোক জয় লাভ কৰি গৰ্বৰে মানৱীয় পৰিপূৰ্ণতাৰ লক্ষ্য সামনৈ আগুৱাই

গৈ আছে। কৌতূহলজনক কথা এই যে প্ৰগতিৰ এই ভাবটো সম্পূৰ্ণ নতুন আছিল। অতীতত য়ুৰোপত নাইবা এচিয়াত নাইবা প্ৰাচীন সভ্যতাবিলাকৰ কোনোটোতে এনে ভাব নাছিল যেন লাগে। য়ুৰোপত একেবাৰে শিল্প-বিপ্লৱৰ সময়লৈকে মানুহে অতীত কালটোক আদৰ্শস্থানীয় যুগ বুলি ভাবিছিল। গ্ৰীচ আৰু ৰোমৰ প্ৰাচীন মৌলিক যুগটো তাৰ পাছৰ যুগবিলাকতকৈ বেছি মনোৰম, বেছি উন্নত আৰু বেছি সুৰুচিসম্পন্ন বুলি ভবা হৈছিল। মানুহে ভাবিছিল যে মানুহ জাতিটোৰ ক্ৰমে বেছিকৈ অৱনতি হৈছে নাইবা অন্ততঃ তেওঁলোকৰ মাজত কোনো লক্ষ্য কৰিবলগীয়া পৰিৱৰ্তন হোৱা নাই।

ভাৰতবৰ্ষত বহুতো পৰিমাণে একেটা ভাৱেই আছে। এই ভাব মতে অতীতৰ সোণালী যুগ এটাৰ অৱনতি হৈছে। ভাৰতীয় পুৰাণত কালৰ পৰিমাণ ভূতাত্ত্বিক যুগবিলাকৰ দৰে বিৰাট সংখ্যাৰ বছৰ থকা কেটামান যুগত স্থিৰ কৰা হৈছে, কিন্তু কাল সদায় আৰম্ভ হৈছে শ্ৰেষ্ঠ যুগ সত্য যুগেৰে, আৰু ই বৰ্ত্তমানৰ অনিষ্টকৰ যুগ কলি যুগলৈ নামিছে।

এইদৰে আমি বুজিব পাৰিছোঁ যে মানৱীয় প্ৰগতিৰ ভাৱটো সম্পূৰ্ণ আধুনিক ধাৰণা। অতীতৰ বুৰঞ্জীৰ যিখিনি জ্ঞান আমি পাইছোঁ, সেইখিনিয়ে আমাক এই ভাৱটোত বিশ্বাস কৰিব লগা কৰিছে। কিন্তু আমাৰ জ্ঞান এতিয়াও অত্যন্ত সীমাবদ্ধ আৰু এনে হব পাৰে যে আমাৰ জ্ঞান বেছি সম্পূৰ্ণ হলে আমাৰ দৃষ্টি-ভঙ্গীৰো পৰিৱৰ্তন হব পাৰে। আনকি, উনবিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধত ‘ প্ৰগতি ’ৰ কাৰণে যেনে উৎসাহ আছিল, বৰ্ত্তমান কালত তেনে উৎসাহ নাই। প্ৰগতিয়ে যদি আমাক বিশ্বযুদ্ধখনত কৰাৰ দৰে বিৰাট পৰ্যায়ত ইজনে সিজনক বিনাশ কৰিবলৈ উৎসাহিত কৰে, তেনেহলে এনে প্ৰগতিত কিবা এটা দোষ আছে। আন এটা মনত ৰাখিবলগীয়া কথা এই যে ডাৰুইনৰ ‘ যোগ্যতম জনৰ অৱস্থিতি ’য়ে আটাইতকৈ ভাল মানুহবিলাকৰ অৱস্থিতিৰ কথা অৱশ্যে নুবুজায়। এই সকলো-বিলাক কথা বিদ্বান লোকসকলৰ চিন্তাৰ বিষয়। আমি লক্ষ্য কৰিবলগীয়া কথা এই যে গতিহীন, অপৰিৱৰ্ত্তনীয় আৰু সদায় অৱনতি ঘটি থকা সমাজ এখনৰ প্ৰাচীন আৰু সুদূৰ প্ৰসাৰী ভাবটোক ১৯শ শতাব্দীত আধুনিক বিজ্ঞানে আঁতৰ কৰিছিল আৰু গতিশীল আৰু পৰিৱৰ্ত্তনশীল সমাজ এখনৰ ভাৱটোৱে তাৰ ঠাই লৈছিল। তাৰ লগতে প্ৰগতিৰ ভাৱটোও আহিছিল। বাস্তৱতে এই যুগটোও সমাজখন চিনিব নোৱাৰাকৈ পৰিৱৰ্ত্তিত হৈছিল।

মই তোমাক জীৱৰ শ্ৰেণীবিলাকৰ উৎপত্তি বিষয়ৰ ডাৰুইনৰ তথ্যটোৰ কথা কৈ আছোঁ, এই প্ৰসঙ্গত ২৫০০ বছৰৰ পূৰ্বে চীনা দাৰ্শনিক এজনে এই বিষয়ে কি কৈছিল তাক জানিবলৈ তোমাৰ কৌতূহল হব পাৰে। তেওঁৰ নাম আছিল ছনছে (Tson Tse), তেওঁ খ্ৰীষ্ট পূৰ্ব ষষ্ঠ শতাব্দীত বুদ্ধৰ দিনৰ ভিতৰত এইদৰে লিখিছিল :

‘সকলোবিলাক অঙ্গপ্ৰত্যঙ্গ থকা দেহ একেটা শ্ৰেণীৰ পৰা উৎপত্তি হৈছে। এই শ্ৰেণীটোত আগতে ক্ৰমাগত আৰু অবিচ্ছিন্ন বহুতো পৰিৱৰ্ত্তন ঘটিছিল। তাৰ পাছত ইয়াৰপৰা বিভিন্ন আকৃতিৰ সকলো অঙ্গ-প্ৰত্যঙ্গ বিশিষ্ট দেহৰ উৎপত্তি

হৈছিল। এনে দেহবিলাকৰ মাজত তৎক্ষণাৎ পাৰ্থক্যৰ সৃষ্টি নহৈছিল; কিন্তু তাৰ সলনি পুৰুষানুক্ৰমে ক্ৰমাগত পৰিবৰ্ত্তনৰ ফলত সেই দেহবিলাকে নিজৰ নিজৰ পৃথক ৰূপ পাইছিল।"

এইটো ডাৰুইনৰ তথ্যৰ যথেষ্ট ওচৰ চপা তথ্য, আৰু আচৰিত কথা এই যে চীনা প্ৰাণীতত্ত্ববিদ্‌জন যি সিদ্ধান্তত উপনীত হৈছিল, সেই সিদ্ধান্তটো পুনৰ আবিষ্কাৰ কৰিবলৈ পৃথিৱীয়ে আঠে হাজাৰ বছৰ লৈছিল।

১৯শ শতাব্দী আওৱাই যোৱাৰ লগে লগে পৰিবৰ্ত্তনৰ বেগ ক্ৰমে বেছি দ্ৰুত হৈছিল। বিজ্ঞানে ইটোৰ পিছত সিটোকৈ আচৰিত বস্তু উৎপন্ন কৰিছিল আৰু আবিষ্কাৰ আৰু উদ্ভাৱনৰ অনন্ত সমাৰোহে মানুহৰ চকুত চমক লগাইছিল। টেলিগ্ৰাম, টেলিফোন্, মটৰগাড়ী আৰু পিছৰ কালত ওলোৱা বিমান আদি বহুতো এনে আবিষ্কাৰে মানুহৰ জীৱন যাপনৰ পদ্ধতিত বিৰাট পৰিবৰ্ত্তন সাধিছিল। বিজ্ঞানে আটাইতকৈ বেছি দূৰৈৰ মহাকাশৰ আৰু অদৃশ্য পৰমাণুৰ আৰু তাৰ সূক্ষ্মতাৰ ভাগবিলাকৰো আকাৰ স্থিৰ কৰিবলৈ সাহ কৰিছিল। ই মানুহৰ গেৰাখী খাটিব-লগীয়া কামবিলাক কমাইছিল আৰু লাখ লাখ মানুহৰ জীৱন যাপনৰ পদ্ধতি বেছি সহজ হৈছিল। বিজ্ঞানৰ কাৰণেই পৃথিৱীৰ, বিশেষকৈ উদ্যোগ পদ্ধতি চলা দেশবিলাকৰ লোকসংখ্যা আচৰিত ধৰণে বাঢ়িছিল। লগে লগে বিজ্ঞানে বিনাশৰ অতি নিখুঁত পদ্ধতি উলিয়াইছিল। কিন্তু এইটো বিজ্ঞানৰ দোষ নাছিল। ই প্ৰকৃতিৰ ওপৰত মানুহৰ আধিপত্য বঢ়াইছিল, কিন্তু মানুহে এই সকলোবিলাক ক্ষমতা লাভ কৰি নিজক কেনেকৈ সংযত কৰা উচিত নেজানিছিল। সেই কাৰণে তেওঁলোকে সঘনে অসৎ আচৰণ কৰি বিজ্ঞানৰ দানবিলাকৰ অপব্যৱহাৰ কৰিছিল। কিন্তু বিজ্ঞানৰ জয়-যাত্ৰা চলি আছিল আৰু ১৫০ বছৰৰ ভিতৰত এই পৃথিৱীখন যি পৰিমাণে পৰিবৰ্ত্তিত কৰিছিল সেই পৰিমাণটো ইয়াৰ আগৰ বহুত হাজাৰ বছৰৰ পৰিবৰ্ত্তনতকৈ বেছি আছিল। বাস্তৱতে প্ৰত্যেক দিশতে আৰু জীৱনৰ প্ৰত্যেক বিভাগতে বিজ্ঞানে পৃথিৱীখনত বৈপ্লৱিক পৰিবৰ্ত্তন ঘটাইছিল।

বিজ্ঞানে এই যাত্ৰা এতিয়াও চলাই আছে আৰু এই যাত্ৰা বেছি দ্ৰুত গতিৰে আৰু জোৰেৰে চলোৱা হৈছে যেন দেখা গৈছে। ইয়াৰ বিশ্ৰাম নাই। ৰেলপথ এটা নিৰ্ম্মাণ কৰা হয় যি সময়ত ই ব্যৱহাৰৰ উপযোগী হয়, সেই সময়ৰ আগতে ই চলন্তি নথকা হয়। যন্ত্ৰ এটা কিনি বহুৱা হয়; এবছৰ বা দুবছৰৰ ভিতৰতে সেই একে প্ৰকাৰৰে বেছি ভাল আৰু বেছি নিপুণ যন্ত্ৰ নিৰ্ম্মাণ কৰা হয়। এইদৰে এই উত্তৰ প্ৰতিযোগিতাটো চলি আছে আৰু এতিয়া আমাৰ দিনত বিজুলি-শক্তিয়ে বাষ্পৰ ঠাইলৈ ডেৰশ বছৰৰ পূৰ্বে শিল্প-বিপ্লৱে যেনে তাণ্ডৱ বিপ্লৱ ঘটাইছিল, ই তেনে তাণ্ডৱ এটা বিপ্লৱ ঘটাইছিল।

বিৰাট সংখ্যাৰ বৈজ্ঞানিক আৰু বিশেষজ্ঞ, বিজ্ঞানৰ অসংখ্য প্ৰধান বিষয়ৰ কামত আৰু সেইবিলাকৰ শাখা-প্ৰশাখাবিলাকৰ কামত অবিৰতভাৱে লাগি আছে। বৰ্ত্তমান কালৰ এই শ্ৰেণীৰ লোকসকলৰ ভিতৰত এলবাৰ্ট আইনষ্টাইনৰ নামটো সকলোতকৈ শ্ৰেষ্ঠ, তেওঁ নিউটনৰ বিখ্যাত তথ্যটোৰ কিছুপৰিমাণে সংস্কাৰ সাধন কৰাত কৃতকাৰ্য হৈছে।

বিজ্ঞানৰ আধুনিক প্ৰগতি ইমান বিশাল হৈছে আৰু বৈজ্ঞানিক তথ্যবিলাকৰ

বৃদ্ধি আৰু পৰিৱৰ্তন ইমান বেচি হৈছে যে বৈজ্ঞানিকসকল নিজেই স্তম্ভিত হৈছে। তেওঁলোকৰ আগৰ দিনৰ সন্তোষ আৰু নিশ্চয়তাৰ গৰ্ব্ব নোহোৱা হৈছে। এতিয়া তেওঁলোক নিজৰ সিদ্ধান্তবিলাকৰ বিষয়ত আৰু সমাগত কালৰ কাৰণে তেওঁলোকে কৰা ভৱিষ্যৎবাণীবিলাকৰ বিষয়ত দ্বিধাগ্ৰস্ত হৈছে।

কিন্তু এয়া বিংশ শতাব্দীৰ আৰু আমাৰ দিনৰ সংঘটন। উনবিংশ শতাব্দীত আশ্বাস সম্পূৰ্ণ আছিল আৰু বিজ্ঞানে ইয়াৰ অসংখ্য কৃতাৰ্থতাৰ কাৰণে গৰ্ব্ব কৰি মানুহৰ মাজত ইয়াৰ আধিপত্য বিস্তাৰ কৰিছিল আৰু মানুহে দেৱতাৰ আগত আঠু লোৱাৰ দৰে ইয়াৰ বশীভূত হৈছিল।

১৩১

গণতন্ত্ৰৰ অগ্ৰগতি

১০ ফেব্ৰুৱাৰী, ১৯৩৩

মোৰ আগৰখন চিঠিত মই উনবিংশ শতাব্দীত বিজ্ঞানৰ প্ৰগতিৰ আভাস দিবলৈ চেষ্টা কৰিছিলোঁ। এতিয়া আমি এই শতাব্দীৰ আন এটা কাম, গণতান্ত্ৰিক ভাবৰ সংবৰ্ধনৰ বিষয়ে আলোচনা কৰি চাওঁ।

তোমাৰ মনত পৰিব যে মই তোমাক অষ্টাদশ শতাব্দীত ফ্ৰান্সত ভাবৰ যুদ্ধৰ বিষয়ে আৰু সেই সময়ত শ্ৰেষ্ঠ ভাবুক আৰু লিখক ভলটেয়াৰ আৰু যি সকলে ধৰ্ম আৰু সমাজ সম্পৰ্কৰ পুৰণি বহুতো ধাৰণাৰ বিৰুদ্ধে সাহসেৰে নতুন তথ্য প্ৰচাৰ কৰিছিল, তেওঁলোকৰ বিষয়ে আগতে কৈছোঁ। সেই কালৰ এনেবিলাক ৰাজনৈতিক চিন্তা যাইকৈ ফ্ৰান্সতে আবদ্ধ আছিল। জাৰ্মাণীত তেতিয়া দাৰ্শনিকসকলে দৰ্শন বিষয়ৰ বেছি দুৰ্বোধ্য চিন্তাত মন দিছিল। ইংলেণ্ডত কাৰবাৰ আৰু বাণিজ্য বাঢ়িছিল আৰু অৱস্থাই বাধ্য নকৰিলে ইংলেণ্ডৰ মানুহে ভাবিবলৈ ভাল নাপাইছিল। তথাপি ১৮শ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধত ইংলেণ্ডত এখন বিখ্যাত গ্ৰন্থ প্ৰকাশিত হৈছিল। এইখন আছিল আডাম স্মিথৰ 'জাতিবিলাকৰ সম্পত্তি'। এইখন ৰাজনীতি বিষয়ৰ কিতাপ নাছিল; ৰাজনৈতিক আয়-ব্যয়ৰ বিধান বা অৰ্থনীতি বিষয়ৰহে কিতাপ আছিল। সেই কালৰ আন সকলো বিষয়ৰ দৰে এই বিষয়টোও ধৰ্ম আৰু নীতিশাস্ত্ৰৰ লগত সানমিহলি কৰি ৰখা হৈছিল, সেই কাৰণে এই বিষয়ত বহুত বেমেজালি আছিল। আডাম স্মিথে ইয়াক বৈজ্ঞানিক পদ্ধতিৰে আলোচনা কৰিছিল আৰু সকলোবিলাক নৈতিক জটিলতালৈ ভ্ৰূক্ষেপ নকৰি, যিবিলাক বিধানৰ অৰ্থনীতিত প্ৰভুত্ব আছিল সেইবিলাক বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল। তুমি সম্ভৱতঃ জানা যে অৰ্থনীতিত জাতি এটাৰ বা দেশ এখনৰ মুঠ আয়-ব্যয় চলোৱাৰ বিষয়ে জাতিটোৰ মানুহবিলাকে কি কি উৎপন্ন কৰে আৰু তেওঁলোকক ব্যৱহাৰ কৰিবলৈ কি কি লাগে সেই বিষয়ে, তেওঁলোকৰ মাজত পৰস্পৰ সম্পৰ্কৰ বিষয়ে আৰু আন জাতিৰ মানুহৰ লগত তেওঁলোকৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰা হয়। আডাম স্মিথে বিশ্বাস কৰিছিল যে এই সকলোবিলাক জটিল কাম সংঘটিত হয় কিছুমান নিৰ্দ্ধাৰিত স্বাভাৱিক বিধান অনুসাৰে আৰু তেওঁ সেইবিলাকক তেওঁৰ কিতাপত সন্নিবিষ্ট কৰিছিল। তেওঁ আৰু বিশ্বাস কৰিছিল

যে এই বিধানবিলাকত বাধা নজন্মাবৰ কাৰণে উদ্যোগৰ উন্নয়নত সম্পূৰ্ণ স্বাধীনতা দিয়া উচিত। এয়ে 'লেচাফেৰ' অৰ্থাৎ ব্যক্তিৰ কাৰবাৰত হস্তক্ষেপ নকৰা নীতিৰ আৰম্ভণি আছিল, এই বিষয়ে অলপ মই আগতে তোমাক কৈছোঁ। ফ্ৰান্সত সেই কালৰ নতুনকৈ যিবিলাক গণতান্ত্ৰিক ভাৱৰ সূত্ৰপাত হৈছিল, সেইবিলাকৰ লগত আডাম স্মিথৰ কিতাপখনৰ একো সম্পৰ্ক নাছিল। কিন্তু সকলো মানুহ আৰু সকলো জাতিক প্ৰভাৱিত কৰা এটা অতি প্ৰধান সমস্যাৰ বিষয়ৰ তেওঁৰ বৈজ্ঞানিক সমালোচনাৰ চেষ্টাই দেখুৱাইছে যে মানুহে সকলো কথা ধৰ্মৰ কালৰপৰা বিবেচনা কৰাৰ পুৰণি প্ৰথাটো এৰি নতুন এটা পথ লৈছিল। আডাম স্মিথক অৰ্থনীতি বিজ্ঞানৰ জনক বুলি বিবেচনা কৰা হয় আৰু তেওঁ ১৯ শ শতাব্দীৰ বহুতো ইংৰাজ অৰ্থনীতিবিদক প্ৰেৰণা যোগাইছিল।

অৰ্থনীতিৰ নতুন বিজ্ঞানটো অধ্যাপকসকলৰ মাজত আৰু তাকৰীয়া সংখ্যাৰ বিদ্বানলোকৰ মাজত আবদ্ধ আছিল। কিন্তু ইতিমধ্যে গণতন্ত্ৰৰ নতুন ভাৱবিলাক বিস্তাৰিত হৈছিল আৰু আমেৰিকা আৰু ফ্ৰান্সৰ বিপ্লৱৰপৰা সেই ভাৱবিলাকৰ জনপ্ৰিয়তা আৰু প্ৰচাৰ অতি আচৰিত ৰকমে বাঢ়িছিল। 'আমেৰিকাৰ স্বাধীনতাৰ ঘোষণা' আৰু 'ফ্ৰান্সৰ অধিকাৰ ঘোষণা'ৰ সুশ্ৰাব্য শব্দ আৰু বাক্যাংশবিলাকে মানুহক অতি গভীৰভাৱে উত্তেজিত কৰিছিল। সেইবিলাকে লাখ লাখ উৎপীড়িত আৰু এটা পৰিত্ৰাণৰ বাণী আনিছিল। দুয়োটা ঘোষণাতে স্বাধীনতা আৰু সাম্যৰ কথা কোৱা হৈছিল আৰু কোৱা হৈছিল যে প্ৰত্যেক মানুহৰে সুখ ভোগ কৰাৰ অধিকাৰ আছে। এই বহুমূলীয়া অধিকাৰবিলাকৰ আড়ম্বৰপূৰ্ণ ঘোষণাৰ ফলতে মানুহে এইবিলাক নেপাইছিল। আনকি দেৰ শতাব্দীৰ পাছত বৰ্তমান কালতো তেনেই কম সংখ্যাৰ মানুহেহে সেইবিলাক উপভোগ কৰিছে বুলি কব পাৰি। কিন্তু এই নীতিবিলাকৰ ঘোষণাটোৱেই অসাধাৰণ আৰু সঞ্জীৱকাৰী আছিল।

আন আন ঠাইৰ দৰে য়ুৰোপত আৰু আনি আন ধৰ্মৰ দৰে খ্ৰীষ্টিয়ান ধৰ্মত পুৰণি মত এনে আছিল যে পাপ আৰু দুখ মানুহৰ সাধাৰণ আৰু অৱশ্যম্ভাৱী নিয়তি। ধৰ্মৰ এই পৃথিৱীত দাৰিদ্ৰ আৰু দুৰ্গতিক স্থায়ী আৰু আনকি সন্মানীয় আসন দিছিল যেন দেখা গৈছিল। ধৰ্মৰ সকলোবিলাক আশ্বাস আৰু পুৰস্কাৰ আন কোনোবা এখন পৃথিৱীৰ কাৰণে আছিল। এইখন পৃথিৱীত আমাৰ দুৰ্দশা নিলিপ্ত-ভাৱে সহি থাকিবলৈ আৰু কোনো ৰকমৰ মৌলিক পৰিবৰ্তন নিবিচাৰিবলৈ আমাক কোৱা হৈছিল। দান দক্ষিণাত, দুখীয়াক খুদকণ দিয়াত উৎসাহ দিয়া হৈছিল, কিন্তু দাৰিদ্ৰ গুচুৱাৰ নাইবা যি পদ্ধতিৰ ফলত দাৰিদ্ৰ হৈছিল তাক গুচুৱাৰ ভাব অলপো নাছিল। স্বাধীনতা আৰু সামান্য সকলোবিলাক ভাৱেই ধৰ্ম আৰু সমাজৰ প্ৰভুত্বৰক্ষী দৃষ্টিভঙ্গীৰ বিৰোধী আছিল।

পিচে এয়া বহুত পিচৰ কালৰ পৰিস্থিতি আছিল। আগতীয়া কালত অৰ্থাৎ অষ্টাদশ শতব্দীৰ শেষত আৰু ঊনবিংশ শতাব্দীৰ আৰম্ভণিত গণতান্ত্ৰিক সকলৰ মাজত বিস্তৰ উৎসাহ হৈছিল। আশা কৰা হৈছিল যে গণতন্ত্ৰই প্ৰত্যেকজন মানুহকে মুক্ত আৰু সমান নাগৰিক কৰিব আৰু প্ৰত্যেকজন মানুহৰ সুখৰ অৰ্থে ৰাষ্ট্ৰৰ চৰকাৰে কাম কৰিব। ১৮ শ শতাব্দীৰ ৰজা আৰু চৰকাৰবিলাকৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে আৰু তেওঁলোকৰ অসীম ক্ষমতাৰ অপপ্ৰয়োগৰ পদ্ধতিৰ

বিষয়ে এটা প্ৰবল প্ৰতিক্ৰিয়া হৈছিল। ইয়াৰ পৰিণাম স্বৰূপে সাধাৰণ মানুহ-বিলাকে তেওঁলোকৰ ঘোষণা পত্ৰবিলাকত ব্যক্তিৰ অধিকাৰবিলাকৰ কথা ঘোষণা কৰিছিল। সম্ভৱতঃ আমেৰিকা আৰু ফ্ৰান্সৰ ঘোষণাপত্ৰ দুখনত দিয়া ব্যক্তি অধিকাৰৰ এই বিবৃতিবিলাক আন কালেদি অলপ আওবাটেদি গৈছিল। আচল এখন সমাজত ব্যক্তিবিলাকক বেলেগ বেলেগ কৰি তেওঁলোকক নিখুঁত স্বাধীনতা দিয়া সহজ কথা নহয়। এনে একোজন ব্যক্তিৰ স্বাৰ্থৰ লগত সমাজৰ স্বাৰ্থৰ সংঘৰ্ষ হ'ব পাৰে আৰু হয়ো। যি কি নহওক, গণতন্ত্ৰ বহুত পৰিমাণৰ ব্যক্তি স্বাধীনতাৰ পক্ষপাতী।

অষ্টাদশ শতাব্দীত ইংলেণ্ড ৰাজনৈতিক ভাৱত অনুন্নত আছিল, কিন্তু আমেৰিকা আৰু ফ্ৰান্সৰ বিপ্লৱে সেই দেশক বৰকৈ প্ৰভাৱিত কৰিছিল। ইয়াৰ প্ৰথম প্ৰতি-ক্ৰিয়া হৈছিল গণতান্ত্ৰিক ভাববিলাক লৈ আৰু দেশত সামাজিক বিপ্লৱ এটাৰ সম্ভাৱনাৰে ভয়। শাসক শ্ৰেণীবিলাক আগতকৈ বেছি ৰক্ষণশীল আৰু প্ৰতিক্ৰিয়াশীল হৈছিল। কিন্তু নতুন ভাববিলাক তথাপি বুদ্ধিজীৱিবিলাকৰ মাজত বিস্তৃত হৈছিল। টমাছ্ পেইন এই যুগৰ এজন আকৰ্ষণীয় ইংৰাজ আছিল। আমেৰিকাত স্বাধীনতাৰ যুদ্ধ হোৱা কালত তেওঁ তাত আছিল আৰু আমেৰিকাক সহায় কৰিছিল। আমেৰিকাবাসীক পূৰ্ণ স্বাধীনতাৰ মতলৈ পৰিৱৰ্তন কৰাত তেওঁ আংশিক ৰূপে দায়ী আছিল বুলি অনুমান কৰা হয়। ইংলেণ্ডলৈ উলটি আহি তেওঁ 'ডি ৰাইট্‌চ অব মেন' (মানুহৰ অধিকাৰ) নামৰ এখন কিতাপ লিখিছিল, যি ফৰাচী বিপ্লৱটো ঠিক সেই সময়তে আৰম্ভ হৈছিল, কিতাপখন তাক সমৰ্থন কৰি লিখা হৈছিল। এই কিতাপত তেওঁ ৰাজতন্ত্ৰক আক্ৰমণ কৰিছিল আৰু গণতন্ত্ৰৰ হকে কৈছিল। ইয়াৰ কাৰণে বৃটিছ চৰকাৰে তেওঁক আইন মতে দণ্ডনীয় বুলি ঘোষণা কৰিছিল, তেতিয়া তেওঁ ফ্ৰান্সলৈ পলাই যাব-লগীয়া হৈছিল। পেৰিচত তেওঁ সোনকালে 'নেছনেল কনভেন্‌চন'ৰ (জাতীয় পৰিষদৰ) সদস্য হৈছিল, কিন্তু তেওঁ ১৬ শ লুইৰ হত্যাৰ বিৰোধিতা কৰাৰ কাৰণে জেকবিনবিলাকে তেওঁক বন্দীশালত ৰাখিছিল। পেৰিচৰ বন্দীশালত তেওঁ 'ডি এইজ অব ৰিজন' (যুক্তিৰ যুগ) নামৰ আন এখন কিতাপ লিখিছিল। ইয়াত তেওঁ ধাৰ্মিক দৃষ্টিভঙ্গীৰ দোষ দেখুৱাই সমালোচনা কৰিছিল। বৃটিছ আদালতৰ এই এলেকা বাহিৰত থকাত তেওঁৰ ইংৰাজ প্ৰকাশকজনে এই কিতাপখন প্ৰকাশ কৰাৰ কাৰণে প্ৰকাশকজনক কাৰাদণ্ড দিয়া হৈছিল। (ৰবচ্‌পিয়েৰৰ মৃত্যুৰ পাছত পেইনক পেৰিচৰ বন্দীশালৰ পৰা মুক্ত কৰা হৈছিল)। এনে এখন কিতাপক সমাজৰ কাৰণে বিপদজনক বুলি ভবা হৈছিল। কাৰণ দুখীয়া মানুহবিলাকক তেওঁলোকৰ নিজৰ নিজৰ ঠাইত ৰাখিবৰ কাৰণে ধৰ্ম প্ৰয়োজনীয় বুলি ভবা হৈছিল। পেইনৰ কিতাপৰ বহুতো প্ৰকাশকক বন্দীশাললৈ পঠোৱা হৈছিল, সেইবিলাকৰ ভিতৰত মহিলাও আছিল। জানিলে কৌতূহল হোৱা কথা এই যে কবি শ্যেলীয়ে বিচাৰকজনলৈ প্ৰতিবাদ কৰি এখন চিঠি লিখিছিল।

১৯ শ শতাব্দীৰ প্ৰথমাৰ্দ্ধত য়ুৰোপত যিবিলাক গণতান্ত্ৰিক ভাব বিস্তৃত হৈছিল, ফৰাচী বিপ্লৱটো সেইবিলাকৰ জনক আছিল। প্ৰকৃতপক্ষে যদিও অৱস্থাৰ দ্ৰুত পৰিৱৰ্তন হৈ আছিল, বিপ্লৱটোৰ সকলোবিলাক ভাবেই চলি আছিল।

এই গণতান্ত্রিক ভাববিলাক ৰজাৰ আৰু স্বেচ্ছাচাৰী শাসনৰ বিৰুদ্ধে চিন্তামূলক প্ৰতিক্ৰিয়া আছিল। ঔদ্যোগিকৰণৰ আগৰ কালত অৱস্থাক ভেটি কৰি এইবিলাক হৈছিল। কিন্তু নতুন উদ্যোগে, বাষ্প আৰু বৃহৎ যন্ত্ৰই পুৰণি ব্যৱস্থা তেনেই ওলট-পালট কৰিছিল। তথাপি ক'বলৈ গলে আচৰিত কথা যে ১৯ শ শতাব্দীৰ আৰম্ভণি ভাগৰ উপপন্থী আৰু গণতান্ত্ৰিকবিলাকে এই পৰিবৰ্ত্তনবিলাকলৈ আওকাণ কৰি বিপ্লৱৰ আৰু 'মানুহৰ অধিকাৰৰ ঘোষণা'ৰ বিতোপন বাক্যবিলাকৰ লগত মিলা ভাষাত বক্তৃতা দি আছিল। সম্ভৱত: তেওঁলোকে ভাবিছিল যে এই পৰিৱৰ্তনবিলাক সম্পূৰ্ণ ভৌতিক আছিল, আৰু গণতন্ত্ৰৰ উচ্চ আধ্যাত্মিক, নৈতিক আৰু ৰাজনৈতিক দাবীবিলাকৰ ওপৰত সেইবিলাকৰ প্ৰভাৱ নপৰিছিল। কিন্তু ভৌতিক পদাৰ্থবিলাকৰ এটা ৰীতি আছে যে নিজক অগ্ৰাহ্য কৰিবলৈ এইৰোৰে নিদিয়ে। মানুহৰ কাৰণে পুৰণি ভাববিলাক এৰি নতুন ভাব লোৱা যে কিমান অসাধাৰণভাৱে টান তাক জানিলে ৰৰকৈ ৰহস্য পোৱা যায়। তেওঁলোকে চকু মুদি থাকে আৰু মনলৈ ভাব আহিবলৈ নিদিয়ে আৰু চাবলৈ বা বুজিবলৈ তেওঁলোক অমাস্তি হয়, পুৰণি অৱস্থাই তেওঁলোকক অপকাৰ কৰিলেও তেওঁলোকে তাতে নেৰানেপেৰাকৈ লাগি থাকিবৰ কাৰণে যুদ্ধ কৰে। নতুন ভাববিলাক গ্ৰহণ কৰি নতুন অৱস্থাৰ লগত নিজকে খাপ খুৱাই লোৱাৰ বাহিৰে আন প্ৰায় বিহকে তিহকে তেওঁলোকে কৰে। ৰক্ষণশীলতাৰ ক্ষমতা অশেষ। আনকি যি উপপন্থীবিলাকে নিজক বৰ উন্নত বুলি ভাবে, তেওঁলোকো সঘনে পুৰণি আৰু অনৰ্থক বুলি বৰ্জ্জন কৰা ভাববিলাকতে লাগি থাকে আৰু পৰিৱৰ্ত্তিত হৈ থকা অৱস্থালৈ তেওঁলোকৰ চকু নেযায়। প্ৰগতি যে মন্থৰ হয় তাত আচৰিত হব লগা একো নাই, আৰু সঘনে মানুহৰ মনৰ ভাব বাস্তৱ অৱস্থাতকৈ বহুত পিচ পৰি থাকে। তাৰ ফলত বৈপ্লৱিক পৰিস্থিতিৰ সৃষ্টি হয়।

এইদৰে কেবাটাও দশক জুৰি গণতন্ত্ৰই ফৰাচী বিপ্লৱৰ পৰম্পৰা আৰু ভাববিলাক চলাই আছিল। নতুন অৱস্থাৰ লগত এইদৰে খাপ নোখোৱাৰ পৰিণাম স্বৰূপে শতাব্দীটোৰ শেষৰ কালে আৰু বিংশ শতাব্দীতো গণতন্ত্ৰ দুৰ্ব্বল হৈছিল আৰু আৰু বহুত মানুহে ইয়াক অগ্ৰাহ্য কৰিছিল। ভাৰতবৰ্ষত বৰ্ত্তমান কালত আমাৰ বহুতো উন্নত ৰাজনৈতিক পুৰুষে এতিয়াও ফৰাচী বিপ্লৱৰ আৰু মানুহৰ অধিকাৰৰ ভাষাত কথা কয়, তেওঁলোকে বুজিব নোখোজে যে সেইকালৰপৰা এতিয়ালৈকে এই কালছোৱাৰ ভিতৰত বহুত ঘটনা ঘটিছে।

আগতীয়া কালৰ গণতন্ত্ৰীসকলে স্বাভাৱিকতে যুক্তিবাদৰ আশ্ৰয় লৈছিল। তেওঁলোকৰ চিন্তাৰ স্বাধীনতাৰ আৰু বাক-স্বাধীনতাৰ দাবীৰ লগত প্ৰচলিত ধৰ্ম্মৰ আৰু ঈশ্বৰ সম্বন্ধীয় বিজ্ঞানক প্ৰায় মিলাব পৰা নহৈছিল। এইদৰে গণতন্ত্ৰই বিজ্ঞানৰ সহযোগত ঈশ্বৰ সম্পৰ্কীয় প্ৰচলিত মতবিলাকৰ প্ৰাধান্য কমাইছিল। মানুহে বাইবেলখনৰ কথাও পৰীক্ষা কৰি চাবলৈ সাহ কৰিছিল। তেওঁলোকে এই গ্ৰন্থখনকো সাধাৰণ কিতাপ এখন যেন ভাবিছিল, নতুবা নিচিন্তাকৈ আৰু নিৰ্বিচাৰে তাৰ কথা বিশ্বাস কৰা উচিত বুলি নেভাবিছিল। বাইবেলৰ এনে সমালোচনাক 'উচ্চতৰ সমালোচনা' বোলা হৈছিল। সমালোচকসকল এনে সিদ্ধান্তত উপনীত হৈছিল যে বাইবেলখন বিভিন্ন ব্যক্তিয়ে বিভিন্ন যুগত লিখা

বৃত্তান্ত সমষ্টি। তেওঁলোকে আৰু মত প্ৰকাশ কৰিছিল যে ধৰ্ম এটা প্ৰতিষ্ঠা কৰিবলৈ যীশুৰ ইচ্ছা নাছিল। এই সমালোচনাই পুৰণি হয়তো বিশ্বাসৰ ভেটি নৰাইছিল।

বিজ্ঞান আৰু গণতান্ত্ৰিক ভাৱবিলাকে ধৰ্মৰ পুৰণি ভেটি দুৰ্বল কৰি থকাত পুৰণি ধৰ্মৰ ঠাই পূৰাবলৈ এবিধ দৰ্শন স্থিৰ কৰি দিবলৈ চেষ্টা কৰা হৈছিল। অগাষ্ট কম্‌টে নামৰ ফৰাচী দাৰ্শনিক এজনে এনে এটা চেষ্টা কৰিছিল। তেওঁ ১৭৯৮ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃ লৈ জীৱিত আছিল। কম্‌টেই অনুভৱ কৰিছিল যে পুৰণি ঈশ্বৰ সম্বন্ধীয় বিজ্ঞান আৰু প্ৰচলিত মতত প্ৰতিষ্ঠিত ধৰ্ম অচল হৈছিল। কিন্তু তেওঁৰ দৃঢ় বিশ্বাস হৈছিল যে কিবা এক প্ৰকাৰৰ ধৰ্ম সমাজৰ কাৰণে প্ৰয়োজনীয়। সেই কাৰণে তেওঁ 'মানৱতাৰ ধৰ্ম'ৰ সূচনা কৰিছিল আৰু ইয়াক তেওঁ 'পজিটিভিজম্' (প্ৰত্যক্ষবাদ) বুলিছিল। ই প্ৰেম, শৃংখলা আৰু প্ৰগতিৰ ভেটিত প্ৰতিষ্ঠিত। ইয়াত অলৌকিক একো নাছিল, বিজ্ঞান ইয়াৰ মূলত আছিল। ইয়াৰ পটভূমিত, প্ৰকৃততে ১৯ শ শতাব্দীৰ প্ৰায় সকলোবিলাক প্ৰচলিত ভাৱতে মানৱ জাতিৰ প্ৰগতিৰ ভাৱটো আছিল। কম্‌টেৰ ধৰ্মত কেইজনমান বুদ্ধিজীৱীৰ মাথোন বিশ্বাস হৈছিল; কিন্তু ইয়ুৰোপৰ চিন্তাধাৰাত তেওঁৰ সাধাৰণ প্ৰভাৱ গভীৰ আছিল। তেৱেঁই সমাজ-বিজ্ঞানৰ পৰ্যালোচনা আৰম্ভ কৰিছিল বুলি কব পাৰি; এইবিধ বিজ্ঞানত মানুহৰ সমাজ আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হয়।

ইংৰাজ দাৰ্শনিক আৰু অৰ্থনীতিবিদ জন ষ্টুৱাৰ্ট মিল (১৮০৬-১৮৭৩ খ্ৰীঃ) কম্‌টেৰ সমসাময়িক আছিল, কিন্তু তেওঁতকৈ বহুত বেছি বছৰ জীৱিত আছিল। কম্‌টেৰ উপদেশে আৰু তেওঁৰ সমাজবাদী ভাৱবিলাকে মিলক প্ৰভাৱিত কৰিছিল। আডাম্ স্মিথৰ উপদেশক ভেটি কৰি ৰাজনৈতিক, অৰ্থনীতি বিষয়ৰ যি মতবাদ ইংলণ্ড প্ৰতিষ্ঠিত হৈছিল, মিলে সেই মতবাদক নতুন এটা দিশ দেখুৱাইছিল আৰু তেওঁ কিছুমান সমাজ নীতি অৰ্থনৈতিক চিন্তাধাৰাৰ ভিতৰলৈ আনিছিল। কিন্তু তেওঁ প্ৰধান 'ইউটিলিটেৰিয়ান' (কামৰ উপকাৰিতাত নৈতিকতা থকাৰ তথ্য মনা লোক) স্বৰূপেহে অতি বেছিকৈ জনাজাত। কামৰ উপকাৰিতাত নৈতিকতা থকাৰ তথ্যটো নতুন তথ্য আছিল। অলপ কালৰ আগত ইংলণ্ডত ইয়াৰ আৰম্ভণ হৈছিল আৰু মিলে ইয়াৰ প্ৰাধান্য বঢ়াইছিল। ইয়াৰ নামটোৰপৰাই অনুমান কৰিব পাৰি যে উপযোগিতা বা উপকাৰিতা ইয়াৰ পথ-প্ৰদৰ্শক যুক্তি আছিল। "আটাইতকৈ বেচি সংখ্যাৰ মানুহৰ আটাইতকৈ বেছি সুখ"—এয়ে আছিল "ইউটিলিটেৰিয়ান" বিলাকৰ মৌলিক নীতি। ন্যায় আৰু অন্যায়ৰ এয়ে আছিল মাপকাঠি। কামবিলাকে যি পৰিমাণে সুখ বঢ়োৱাত সহায় কৰিছিল, সেই পৰিমাণে সেইবিলাকক ন্যায্য বোলা হৈছিল; আৰু যি পৰিমাণে সেইবিলাকে সুখৰ বিপৰীত অৱস্থা বঢ়োৱাত সহায় কৰিছিল সেই পৰিমাণে সেইবিলাকক অন্যায় বোলা হৈছিল। সমাজ আৰু শাসন ব্যৱস্থা আটাইতকৈ বেছি সংখ্যাৰ মানুহৰ আটাইতকৈ বেছি সুখ বঢ়োৱাৰ উদ্দেশ্যেৰে সংগঠিত কৰা উচিত বুলি ভৱা হৈছিল। এই উদ্দেশ্যটো ইয়াৰ আগৰ কালৰ সকলোৰে কাৰণে সমান অধিকাৰৰ গণতান্ত্ৰিক নীতিটোৰে সৈতে ভেনেই একে নাছিল। আটাইতকৈ বেছি সংখ্যাৰ মানু-

হব আটাইতকৈ বেছি সুখৰ কাৰণে কম সংখ্যাৰ কিছুমানৰ ত্যাগ আৰু বিপত্তিৰ আৱশ্যক হব পাৰে বুলি বুজা যায়। মই মুঠেই এই পাৰ্থক্যটো তোমাক দেখুৱাইছোঁ, কিন্তু এই বিষয়ে ইয়াত আমি আলোচনা কৰা অনাৱশ্যক। এইদৰে গণতন্ত্ৰৰ অৰ্থ হৈছিল সংখ্যা গৰিষ্ঠ মানুহৰ অধিকাৰবিলাক।

জন ষ্টুৱাৰ্ট মিল ব্যক্তিৰ স্বাধীনতাৰ গণতান্ত্ৰিক মতটোৰ প্ৰবল সমৰ্থক আছিল। তেওঁ 'অন লিবাৰ্টি' (স্বাধীনতাৰ বিষয়ে) নামৰ সৰু কিতাপ এখন লিখিছিল। এই কিতাপখন প্ৰখ্যাত হৈছিল। এই কিতাপখনৰপৰা বাক্-স্বাধীনতা আৰু মুক্তভাৱে মত প্ৰকাশ কৰাৰ সপক্ষে কোৱা অংশ এটা মই তোমাক জনাওঁ। তেওঁ কৈছিল :

"কিন্তু মত এটাৰ প্ৰকাশ বন্ধ কৰাৰপৰা বিশেষ অনিষ্ট হয় এয়ে যে ইয়াৰ দ্বাৰা মানৱ জাতিৰ ওপৰত, ভৱিষ্যতৰ বংশধৰবিলাকৰ ওপৰত আৰু বৰ্তমানৰ পুৰুষটোৰ ওপৰতো ডকাইতি কৰা হয়, যিবিলাকে মতটো সমৰ্থন নকৰে তেওঁলোকৰ ওপৰত মতটো মনা মানুহবিলাকতকৈ আৰু বেছিকৈ ডকাইতি কৰা হয়। যদি মতটো শুদ্ধ হয়, তেনেহলে তেওঁলোকৰ ভুলৰ সলনি সত্য গ্ৰহণ কৰাৰ সুবিধাৰ পৰা বঞ্চিত কৰা হয়; যদি মতটো ভুল হয়, তেনেহলে তেওঁলোক প্ৰায় সমান ডাঙৰ উপকাৰৰ পৰা বঞ্চিত হয়—ভুলৰ লগত সত্যৰ সংঘাতৰপৰা সত্যৰ যি বেছি স্পষ্ট আৰু বেছি সতেজ ধাৰণা হয়, তেওঁলোকৰ সেই ধাৰণা নহয়। . . .আমি কেতিয়াবা নিশ্চিত হব নোৱাৰোঁ যে আমি দমাই ৰাখিবলৈ চেষ্টা কৰা মতটো অসত্য মত; আৰু আমি যদি এই বিষয়ত নিশ্চিত হওঁ, তেতিয়াও ইয়াক দমাই ৰাখিবলৈ চেষ্টা কৰাটো অনিষ্টকৰ।"

এনে এটা মনোবৃত্তিক বিধিবদ্ধ ধৰ্ম নাইবা অত্যাচাৰী স্বেচ্ছাচাৰী শাসনৰ লগত মিলাব পৰা নহৈছিল। এই মনোবৃত্তি সত্যান্বেষী দাৰ্শনিকৰ মনোবৃত্তি আছিল।

কি পদ্ধতিৰে ভাববিলাকৰ উন্নয়ন হৈছিল তাক দেখুৱাবলৈ আৰু চিন্তাজগতৰ বিশেষ লক্ষণবিলাক দেখুৱাবলৈ মই তোমাক উনবিংশ শতাব্দীৰ পশ্চিম য়ুৰোপৰ প্ৰধান ভাবুকসকলৰ কেইটামান নাম জনাইছোঁ। কিন্তু লোকসকলৰ আৰু সাধাৰণ ভাৱে আগতীয়া গণতন্ত্ৰীসকলৰ প্ৰভাৱ বুদ্ধিজীৱীৰ শ্ৰেণীবিলাকৰ মাজতে প্ৰায় আবদ্ধ আছিল। বুদ্ধিজীৱীবিলাকৰ জৰিয়তে এই প্ৰভাৱ অলপ পৰিমাণে আনবিলাকলৈকো সৰকিছিল। যদিও জনসাধাৰণৰ ওপৰত এই গণতান্ত্ৰিক চিন্তাধাৰাৰ প্ৰত্যক্ষ প্ৰভাৱ অতি কম আছিল, তথাপি ইয়াৰ পৰোক্ষ প্ৰভাৱ গুৰুত্বপূৰ্ণ আছিল।

উনবিংশ শতাব্দী আগুৱাই যোৱাৰ লগে লগে আন আন আন্দোলনৰ আৰু ভাৱৰ বনুৱা শ্ৰেণীৰ আন্দোলনৰ আৰু সমাজবাদৰ উন্নয়ন হৈছিল। প্ৰচলিত গণতান্ত্ৰিক ভাববিলাকত সেইবিলাকৰ প্ৰভাৱ পৰিছিল। আৰু সেইবিলাকো প্ৰচলিত গনতান্ত্ৰিক ভাববিলাকৰ দ্বাৰা প্ৰভাৱিত হৈছিল। কিছুমান মানুহে সমাজবাদক গণতন্ত্ৰৰ বিকল্প বুলি ভাবিছিল, আন কিছুমানে ইয়াক গণতন্ত্ৰৰ আৱশ্যকীয় অংশ বুলি বিবেচনা কৰিছিল। আমি বুজিব পাৰিছোঁ যে গণতন্ত্ৰীসকল স্বাধীনতা, সাম্য, আৰু প্ৰত্যেক মানুহৰে সুখৰ সমান অধিকাৰত সম্পূৰ্ণ বিশ্বাসী

আছিল। কিন্তু তেওঁলোকে সোনকালে উপলব্ধি কৰিছিল যে সুখৰ যৌক্তিক অধিকাৰ কৰাৰ কাৰণেই সুখ নহৈছিল। আনবিলাক কথা বাদ দিও নিৰ্দ্ধাৰিত পৰিমাণৰ দৈহিক সুস্থতা প্ৰয়োজনীয় আছিল। অনাহাৰে থকা মানুহ এজন সুখী হোৱাৰ সম্ভাৱনা নাছিল। তাৰপৰা তেওঁলোকে ভাবিছিল যে বেছি সুষমভাৱে মানুহবিলাকৰ মাজত সম্পত্তি বিতৰণ কৰাৰ ওপৰত সুখ নিৰ্ভৰ কৰিছিল। ইয়াৰ পৰাই সমাজবাদৰ উদ্ভৱ হৈছিল, এই বিষয়টো আমাৰ পিচৰখন চিঠিলৈ থাওক।

উনবিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত, য'ত্তে পৰাধীন জাতিবিলাকে নাইবা এনে জাতিৰ মানুহে স্বাধীনতাৰ কাৰণে সংগ্ৰাম চলাইছিল, ত'তে গণতন্ত্ৰ আৰু জাতীয়তা-বাদৰ মিলন হৈছিল। ইটালীৰ মেজিনি এই প্ৰকাৰৰ গণতান্ত্ৰিক দেশপ্ৰেমৰ আহি আছিল। শতাব্দীটোৰ শেষৰ ফালে জাতীয়তাবাদ ক্ৰমে এই গণতান্ত্ৰিক বৈশিষ্টটো হেৰুৱাই ই বেছি আক্ৰমণাত্মক আৰু কৰ্তৃত্বশীল হৈছিল। ৰাষ্ট্ৰ একোখন একোজন দেৱতা হৈছিল আৰু ৰাষ্ট্ৰৰ প্ৰত্যেকে ইয়াক পূজা কৰিব লাগিছিল।

ইংৰাজ কাৰবাৰী মানুহবিলাক নতুন উদ্যোগৰ নায়ক হৈছিল। গণতন্ত্ৰৰ উচ্চ নীতিবিলাকলৈ আৰু সাধাৰণ মানুহৰ স্বাধীনতাৰ অধিকাৰলৈ তেওঁলোকৰ বেছি ৰাপ নাছিল। কিন্তু তেওঁলোকে আৱিষ্কাৰ কৰিছিল যে সাধাৰণ মানুহবিলাকক বেছি স্বাধীনতা দিয়া কাৰবাৰৰ কাৰণে ভাল আছিল। ই বনুৱাবিলাকৰ মান উন্নত কৰিছিল, তেওঁলোকে কিছু পৰিমাণে স্বাধীনতা লাভ কৰিছিল বুলি তেওঁলোকৰ মনত ভ্ৰান্ত ধাৰণা দিছিল আৰু তেওঁলোকক নিজৰ নিজৰ কামত বেছি পটু কৰিছিল। ঔদ্যোগিক দক্ষতাৰ কাৰণে জনসাধাৰণৰ শিক্ষাৰো প্ৰয়োজন আছিল। কাৰবাৰী মানুহ আৰু উদ্যোগপতিবিলাকে ইয়াৰ উপকাৰিতা বুজিব পাৰি তেওঁ-লোকে সদয় হৈ জনসাধাৰণক এইখিনি অনুগ্ৰহ কৰিবলৈ মান্তি হৈছিল। শতাব্দী-টোৰ দ্বিতীয়াৰ্দ্ধত ইংলেণ্ড আৰু পশ্চিম য়ুৰোপত জনসাধাৰণৰ মাজত একপ্ৰকাৰৰ শিক্ষা বিস্তৃত হৈছিল।

১৩২

সমাজবাদৰ আগমন

১৩ ফেব্ৰুৱাৰী, ১৯৩৩

গণতন্ত্ৰৰ অগ্ৰগতিৰ বিষয়ে মই তোমালৈ আগতে লেখিছোঁ। কিন্তু মনত ৰাখিবা যে তীব্ৰ সংগ্ৰামৰদ্বাৰাহে এই অগ্ৰগতি হৈছিল। যিবিলাক মানুহৰ প্ৰচলিত ব্যৱস্থাৰ স্বাৰ্থ থাকে, তেওঁলোকে পৰিবৰ্তন নিবিচাৰে, তেওঁলোকে সকলো শক্তি প্ৰয়োগ কৰি তাত বাধা দিয়ে। তথাপি প্ৰগতিয়ে নাইবা যেই সেই প্ৰকাৰৰ উদ্‌গতিয়ে এনে পৰিবৰ্তনকে বুজায়। অনুষ্ঠান এটাই বা শাসন ব্যৱস্থা এটাই তাতকৈ বেছি ভাল এটাৰ কাৰণে ঠাই এৰি দিব লাগে। যিসকলে এনে প্ৰগতি বাঞ্ছা কৰে, তেওঁলোকে স্বাভাৱিকতে পুৰণি অনুষ্ঠান নাইবা পুৰণি ৰীতি আক্ৰমণ কৰিব লগা হয়। আৰু তেওঁলোকে লোৱা পথে তেওঁলোকক অৱিৰতভাৱে প্ৰচলিত অৱস্থা অগ্ৰাহ্য কৰিব লগা কৰে আৰু যিবিলাক মানুহ প্ৰচলিত অৱস্থাৰ পৰা উপকৃত হয়, তেওঁলোকৰ লগত সংঘৰ্ষ চলাব লগা কৰে। পশ্চিম ইয়ুৰোপৰ শাসকৰ শ্ৰেণীবিলাকে পদে পদে অগ্ৰগতিত বাধা দিছিল। ইংলণ্ডত যেতিয়া অশান্তি হোৱা হলে হিংসাত্মক বিপ্লৱ হ'লহেঁতেন, তেতিয়াহে তেওঁলোক সৈমান হৈছিল। তেওঁলোক আওৰাই যোৱাৰ আন এটা কাৰণৰ কথা মই আগতে উল্লেখ কৰিছোঁ। সেই কাৰণটো আছিল এয়ে যে নতুন কাৰবাৰী মানুহবিলাকৰ মনত এনে ভাব হৈছিল যে গণতন্ত্ৰ কাৰবাৰৰ কাৰণে উপযোগী আৰু ভাল।

কিন্তু মই আকৌ তোমাৰ মনত পেলাওঁ যে উনবিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত গণতন্ত্ৰৰ এই ভাববিলাক বুদ্ধিজীৱিসকলৰ মাজত থাইকৈ আবদ্ধ আছিল। সাধাৰণ মানুহবিলাক আগতে উদ্যোগ পদ্ধতিৰ সংবৰ্ধনৰদ্বাৰা প্ৰবলভাৱে প্ৰভাৱিত হৈছিল। আৰু তেওঁলোক মাটিৰপৰা কাৰখানালৈ খেদা খাইছিল। উদ্যোগত কাম কৰা বণুৱা শ্ৰেণীৰ এটাৰ সংবৰ্ধন হৈছিল। তেওঁলোকক সাধাৰণতে কয়লা খনিৰ ওচৰত কাৰখানা থকা কুছচ আৰু অস্বাস্থ্যকৰ নগৰবিলাকত ঠাহ খুৱাই ৰখা হৈছিল। এই শ্ৰমিকবিলাকৰ দ্ৰুত গতিৰে পৰিবৰ্তন হৈছিল আৰু তেওঁলোকৰ মাজত নতুন এটা মানসিক প্ৰবৃত্তিৰ উন্নয়ন হৈছিল। যিবিলাক কৃষক আৰু কাৰিকৰ অনাহাৰৰ তাড়ণাত কাৰখানাবিলাকত জুমে জুমে গোট খাইছিল, তেওঁলোকতকৈ এই শ্ৰমিকবিলাক বৰ বেলেগ আছিল। এই কাৰখানাবিলাক স্থাপন

কৰাত ইংলেণ্ড অগ্ৰগামী আছিল কাৰণে সেই দেশতে প্ৰথমতে এই উদ্যোগিক শ্ৰমিক শ্ৰেণীৰ সংবৰ্ধন হৈছিল। কাৰখানাবিলাকৰ অৱস্থা ভয়ঙ্কৰ আছিল, বনুৱ বিলাকৰ ঘৰবিলাক বা জুপুৰীবিলাক আৰু বেছি বেয়া আছিল। তেওঁলোকৰ ভীষণ দুৰ্গতি হৈছিল। সৰু সৰু ল'ৰা-ছোৱালী আৰু তিৰোতা মানুহবিলাকে বিশ্বাস কৰিব নোৱাৰাকৈ বহুত ঘণ্টা কাম কৰিছিল। তথাপি আইনৰদ্বাৰা এই কাৰখানাবিলাকৰ আৰু ঘৰবিলাকৰ উন্নতি সাধন কৰিবলৈ কৰা চেষ্টাৰে সকলো কাৰখানাৰ মালিকবিলাকে তীব্ৰ বিৰোধিতা কৰিছিল। কোৱা হৈছিল যে সম্পত্তিৰ অধিকাৰৰ ওপৰত এইটো নিৰ্লজ্জ হস্তক্ষেপ নাছিল নে? এই কাৰণতে আনকি ব্যক্তিগত ঘৰবিলাকত বাধ্যতামূলক স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থাৰো বিৰোধিতা কৰা হৈছিল।

ক্ৰমাগত অনাহাৰ আৰু অতিৰিক্ত পৰিশ্ৰমৰ কাৰণে দুৰ্ভগীয়া ইংৰাজ বনুৱা-বিলাকৰ মৃত্যু হৈ আছিল। নেপোলিয়নৰ যুদ্ধবিলাকৰ পাচত দেশখন জুৰুলা হৈছিল আৰু অৰ্থনৈতিক অৱনতি হৈছিল, শ্ৰমিকবিলাকে তাৰদ্বাৰে আটাইতকৈ বেছি কষ্ট ভুগিছিল। তেওঁলোকে নিজক ৰক্ষা কৰিবৰ অৰ্থে আৰু বেছি ভাল ব্যৱস্থাৰ কাৰণে যুঁজিবলৈ স্বাভাৱিকতে সন্মিলন পাতিব খুজিছিল। পুৰণি কালত কাৰিকৰ আৰু দক্ষতা অৰ্থা শ্ৰমিকবিলাকৰ 'গিল্ড' বা শ্ৰেণী আছিল, কিন্তু সেইবিলাক তেনেই বেলেগ আছিল। তথাপি এই 'শ্ৰেণী' বিলাকৰ স্মৃতিয়ে সম্ভৱতঃ কাৰখানাৰ বনুৱাবিলাকক তেওঁলোকৰ সন্মিলন পাতিবলৈ প্ৰেৰণা যোগাই-ছিল। কিন্তু তেওঁলোকক তেনে কৰিবলৈ দিয়া নহৈছিল। ফৰাচী বিপ্লৱে বৃটে-ইনৰ শাসক শ্ৰেণীবিলাকক ইমান ভয় খুৱাইছিল যে দুৰ্ভগীয়া বনুৱাবিলাকে লগলাগি তেওঁলোকৰ নিজৰ দুখ-বেজাৰৰ কাৰণবিলাক আলোচনা কৰা বন্ধ কৰিবৰ অৰ্থে শাসকসকলে 'সংযোগ আইন' নাম পোৱা কেইটামান আইন কৰিছিল। আজি কালি ভাৰতবৰ্ষত যেনেকৈ 'আইন আৰু শৃংখলা' ই সদায় কৰ্তৃত্ব চলোৱা একুঠি মানুহৰ স্বাৰ্থ আৰু তেওঁলোকৰ জেপ পূৰোৱা এই দুটা অতি উপকাৰী কাম সাধন কৰি আছে। সেই কালত ইংলেণ্ডতো 'আইন আৰু শৃংখলাই' তেনে কৰিছিল।

কিন্তু বনুৱাবিলাকক লগলাগিবলৈ বন্ধ কৰা আইনে তেওঁলোকৰ অৱস্থা বেছি ভাল নকৰিছিল। সেইবিলাকে তেওঁলোকৰ অভিপাতকৈ গংতোলাইছিল আৰু তেওঁলোকক বিপদলৈ ভয় নকৰা কৰিছিল। তেওঁলোকে গুপ্ত সন্মিলন স্থাপন কৰিছিল, গোপনীয়তা ৰক্ষা কৰিবলৈ তেওঁলোক পৰস্পৰ প্ৰতিজ্ঞাবদ্ধ হৈছিল আৰু গভীৰ ৰাতি আওহতীয়া ঠাইত তেওঁলোকৰ সন্মিলন বহিছিল। যেতিয়া কোনো-বাই বিশ্বাসঘাতকতা কৰি তেওঁলোকক ধৰাই দিছিল নাইবা যেতিয়া আন প্ৰকা-ৰবে ধৰা পেলোৱা হৈছিল, তেতিয়া তেওঁলোকৰ ওপৰত ৰাজদ্ৰোহৰ গোচৰ হৈছিল আৰু তেওঁলোকক ভীষণ শাস্তি দিয়া হৈছিল। কোনো কোনো সময়ত তেওঁ-লোকে খঙত যন্ত্ৰবিলাক ভাঙি পেলাইছিল আৰু কাৰখানাত জুই লগাই দিছিল। আনকি, তেওঁলোকৰ মালিক কিছুমানকো বধ কৰিছিল। অৱশেষত ১৮২৫ খ্ৰীঃত বনুৱাৰ সভাবিলাকৰ ওপৰত লগোৱা বাধা নিষেধবিলাক আংশিকৰূপে উঠুৱা হৈছিল আৰু বনুৱা সংঘ স্থাপন হবলৈ আৰম্ভ কৰিছিল। বেছি ভাল মজুৰী পোৱা দক্ষতাসম্পন্ন শ্ৰমিকবিলাকে এই সংঘবিলাক স্থাপন কৰিছিল। দক্ষতা

নথকা বনুৱাবিলাকৰ অতি সৰহভাগ বহুকাললৈ সংগঠিত নোহোৱাকৈ আছিল। এইদৰে বনুৱাৰ আন্দোলনটোৱে বনুৱা সংঘৰ ৰূপ লৈছিল আৰু সমূহীয়া মীমাংসাৰে বনুৱাৰ অৱস্থা উন্নত কৰিবৰ অৰ্থে এই সংঘবিলাক স্থাপন কৰা হৈছিল। বনুৱাবিলাকৰ একমাত্ৰ সফল অস্ত্ৰ আছিল ধৰ্মঘট কৰাৰ অধিকাৰ অৰ্থাৎ কাম বন্ধ কৰি কাৰখানা অচল কৰা। নিঃসন্দেহে এইপাত ডাঙৰ অস্ত্ৰ আছিল, কিন্তু তেওঁলোকক কামত নিযুক্ত কৰা মানুহবিলাকৰ তাতকৈ বেছি পৰাক্ৰমী এপাত অস্ত্ৰ আছিল,—তেওঁলোকক অনাহাৰে ৰাখি বশীভূত কৰাৰ সামৰ্থ্য। সেইকাৰণে বনুৱাবিলাকৰ ডাঙৰ ত্যাগৰ ওপৰত বনুৱা শ্ৰেণীটোৰ সংগ্ৰামখন চলি আছিল আৰু তাৰপৰা তেওঁলোকৰ উপকাৰ ধীৰে ধীৰে হৈছিল। আনকি তেওঁলোকৰ ভোটেই নাছিল কাৰণে পাৰ্লামেণ্টত তেওঁলোকৰ প্ৰত্যক্ষ প্ৰভাৱ নাছিল। ১৮৩২খ্ৰীঃত যিখন গুৰুত্বপূৰ্ণ 'সংস্কাৰ আইনৰ আঁচনি'ৰ ইমান তীব্ৰভাৱে বিৰোধিতা কৰা হৈছিল, সেই আইনেও সম্পত্তিশালী মধ্যবিত্ত শ্ৰেণীবিলাককহে ভোটাধিকাৰ দিছিল। অকল বনুৱাবিলাকেই নহয়, নিম্নস্তৰ মধ্যবিত্তৰ শ্ৰেণীবিলাকেও তেতিয়াও ভোটাধিকাৰ নেপাইছিল।

ইতিমধ্যে মাঞ্চেষ্টাৰৰ কাৰখানাৰ মালিকবিলাকৰ মাজত এনে এজন লোকৰ আবিৰ্ভাৱ হৈছিল, যি মানৱ জাতিৰ উপকাৰৰ অৰ্থে চেষ্টা কৰিছিল আৰু বনুৱাবিলাকৰ ভয়ঙ্কৰ অৱস্থা দেখি মনত কষ্ট পাইছিল। এই লোকজন আছিল ৰবাৰ্ট ঔৱেন। তেওঁ নিজৰ কাৰখানাবিলাকত বহুত সংস্কাৰ সাধন কৰি তেওঁৰ বনুৱাবিলাকৰ অৱস্থা উন্নত কৰিছিল। তেওঁ নিজৰ শ্ৰেণীৰ বনুৱা নিয়োগকাৰীবিলাকৰ মাজত এটা আন্দোলন চলাই বনুৱাবিলাকৰ প্ৰতি বেছি ভাল আচৰণ কৰাৰ যুক্তি দ্বাৰা তেওঁলোকৰ মনৰ পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰিছিল। আংশিকৰূপে তেওঁৰ কাৰণেই বৃটিছ পাৰ্লামেণ্টে বনুৱা নিয়োগকাৰীবিলাকৰ লোভ আৰু স্বাৰ্থপৰতাৰ পৰা বনুৱাবিলাকক ৰক্ষা কৰিবৰ অৰ্থে প্ৰথম আইন কৰিছিল। এইটোৱেই ১৮১৯ খ্ৰীঃৰ 'কাৰখানা আইন' আছিল। এই আইনত নিয়ম বান্ধি দিয়া হৈছিল যে ন বছৰৰ সৰু সৰু ল'ৰা-ছোৱালীক দিনে ১২ ঘণ্টাতকৈ বেচি সময় কামত লগাই ৰাখিব নোৱাৰিব। এই বিধানটোৱে তোমাক অলপমান ধাৰণা দিব কেনে ভীষণ চৰ্ত্ত বনুৱাবিলাকে পালিব লাগিছিল।

প্ৰবাদ আছে যে ৰবাৰ্ট ঔৱেনেই ১৮৩০ খ্ৰীঃৰ কোনো এটা সময়ত প্ৰথমতে 'সমাজবাদ' শব্দটো ব্যৱহাৰ কৰিছিল। অৱশ্যে ধনী আৰু দুখীয়াক সমান কৰাৰ আৰু সম্পত্তিৰ প্ৰায় সমানভাৱে বিভৰণৰ ভাবটো নতুন ভাব নাছিল। প্ৰাচীন কালৰ সমূহীয়া গোটবিলাকত এক প্ৰকাৰৰ সাম্যবাদ চলিছিল, মাটি আৰু আন সা-সম্পত্তি সমগ্ৰ সমূহীয়া গোট একোটাৰ বা গাওঁ একোখনৰ সমূহীয়া দখলত আছিল। ইয়াক আদিম সাম্যবাদ বোলা হয় আৰু ভাৰতবৰ্ষকে আদি কৰি বহুত দেশত ইয়াক দেখিবলৈ পোৱা যায়। কিন্তু নতুন সমাজবাদ মানুহক সমান কৰাৰ অস্পষ্ট বাঞ্ছা এটাতকৈ বহুত বেছি কিবা এটা আছিল। ই বেছি নিৰ্ধাৰিত আছিল আৰু ইয়াৰ আৰম্ভণিত কাৰখানাত উৎপাদনৰ নতুন পদ্ধতিত ইয়াক প্ৰয়োগ কৰিবলৈ স্থিৰ কৰা হৈছিল। এইদৰে ই ঔদ্যোগিক পদ্ধতিৰ সৃষ্টি। ঔৱেনে বনুৱাৰ সমবায় সমিতি স্থাপনৰ কথা ভাবিছিল আৰু তেওঁ ভাবিছিল যে কাৰখানা-

বিলাকত বনুৱাবিলাকৰ অংশ থকা উচিত। তেওঁ ইংলেণ্ড আৰু আমেৰিকাত প্ৰায় কৃতকাৰ্যতাৰে আদৰ্শ কাৰখানা আৰু বসতিস্থান স্থাপন কৰিছিল। কিন্তু তেওঁ বনুৱা নিয়োগকাৰী তেওঁৰ লগৰীয়াবিলাকৰ আৰু চৰকাৰৰ মনৰ পৰিৱৰ্তন সাধিব নোৱাৰিলে। তথাপি তেওঁৰ জীৱিত কালত তেওঁৰ প্ৰভাৱ গভীৰ আছিল আৰু তেওঁ সমাজবাদ শব্দটোৰ প্ৰচলন কৰাইছিল, এই শব্দটোৱে সেই কালৰ লাখ লাখ মানুহৰ মন মুহি আছে।

সমগ্ৰ এই কালছোৱাত পুঁজিবাদী উদ্যোগৰ সংবৰ্ধন হৈছিল আৰু ই এটাৰ পৰা আনটোকৈ সফলতা প্ৰতিষ্ঠা কৰি গৈ থকাৰ লগে লগে বনুৱা শ্ৰেণীৰ সমস্যাটোও বেছি জটিল হৈ গৈছিল। পুঁজিবাদৰ ফলত উৎপাদন সোপত সোপে বাঢ়িছিল আৰু এই কাৰণেই লোকসংখ্যা অত্যন্ত দ্ৰুত গতিৰে বাঢ়িছিল, কাৰণ এই অৱস্থাত বেছি মানুহক ভৰণ-পোষণ দিব আৰু খুৱাব পৰা হৈছিল। অতি বৃহৎ বৃহৎ কাৰবাৰ প্ৰতিষ্ঠা কৰি সেইবিলাকৰ বিভিন্ন ভাগত মাজত জটিল সহযোগ স্থাপন কৰা হৈছিল, লগে লগে সৰুসুৰা কাৰবাৰবিলাকৰ প্ৰতিযোগিতা দমন কৰি সেইবিলাক নাশ কৰা হৈছিল। ইংলেণ্ডলৈ অবিৰতভাৱে সম্পত্তিৰ সোঁত বৈছিল, কিন্তু ইয়াৰ সৰহখিনি নতুন কাৰখানা নাইবা ৰেলপথ নাইবা আন এনে কাৰবাৰ স্থাপনত লগোৱা হৈছিল। বনুৱাবিলাকে ধৰ্মঘট কৰি বেছি ভাল চৰ্ত্ত লাভ কৰিবলৈ চেষ্টা কৰিছিল ; কিন্তু সেই ধৰ্মঘটবিলাক অতি অকালিলাকৈ বিফল হৈছিল, আৰু তাৰ পাচত তেওঁলোকে চতুৰ্থ দশকৰ 'চাৰ্টিষ্ট' আন্দোলনত যোগ দিছিল। বিপ্লৱৰ বছৰ ১৮৪৮ খ্ৰীঃত এই 'চাৰ্টিষ্ট' আন্দোলনটো লোপ পাইছিল।

পুঁজিবাদৰ কৃতকাৰ্যতাই মানুহক তধা লগাইছিল। কিন্তু তেতিয়াও তেনে কিছুমান উগ্ৰপন্থী নাইবা উন্নত মতবাদী নাইবা মানৱ জাতিৰ কল্যাণৰ কাৰণে চেষ্টা কৰা লোক আছিল যিসকল দেশখনৰ সম্পত্তি বেছি হোৱা সত্ত্বেও পুঁজিবাদৰ ধ্বংসকাৰী প্ৰতিযোগীতাৰ কাৰণে আৰু ই সৃষ্টি কৰা বনুৱাৰ দুখ-দুৰ্গতিৰ কাৰণে সুখী হব নোৱাৰিছিল। ইংলেণ্ড, জাৰ্মাণী আৰু ফ্ৰান্সত এই লোকসকলে পুঁজিবাদৰ নানা বিকল্পৰ কথা বিবেচনা কৰিছিল। সমস্যা সমাধানৰ বিভিন্ন পৰামৰ্শ দিয়া হৈছিল। এই সকলোবিলাক সমাজবাদ বা সমূহীয়া পুঁজিবাদ ('কলেক্টিভিজিম্') নাইবা সামাজিক গণতন্ত্ৰৰ নামত সন্নিবিষ্ট কৰা হৈছিল, এই আটাইকেইটা নামে প্ৰায় একে কথাকে বুজাইছিল। এই সংস্কাৰকসকলৰ মাজত এই কথাটোত সাধাৰণ ভাৱে মিল আছিল যে উদ্যোগত ব্যক্তিগত মালিকী স্বত্ব আৰু কৰ্তৃত্ব থকাৰ কাৰণেই অশান্তি হৈছিল। যদি ইয়াৰ পৰিৱৰ্তে উদ্যোগত নাইবা অন্ততঃ মাটি আৰু প্ৰধান উদ্যোগবিলাকৰ নিচিনা উৎপাদনৰ প্ৰধান উপায়বিলাক ৰাষ্ট্ৰৰ মালিকী স্বত্ব আৰু কৰ্তৃত্ব থাকিলহেতেন, তেনেহলে মানুহবিলাকে বৰং অস্পষ্টভাৱে পুঁজিবাদী পদ্ধতিৰ এটা বিকল্প পদ্ধতি বিচাৰিছিল। কিন্তু পুঁজিবাদী পদ্ধতিটো লোপ পোৱাৰ লক্ষণ নাছিল। ইয়াৰ শক্তি সোপত সোপে বাঢ়ি গৈছিল।

বুদ্ধিজীৱীসকলে আৰু ৰবাৰ্ট ওৱেনৰ সম্পৰ্কত কাৰখানাৰ মালিক এজনে এই সমাজবাদী ভাববিলাকৰ সূত্ৰপাত কৰিছিল। বণুৱাবিলাকৰ বনুৱা সংঘৰ আন্দোলনটোৰ কিছুকাল বিভিন্ন দিশত উন্নয়ন হৈছিল। বেছি মজুৰি আৰু বেছি ভাল চৰ্ত্ত লাভ কৰিবৰ কাৰণে মাথোন এই আন্দোলন চলোৱা হৈছিল।

কিন্তু এই ভাৱবিলাকৰদ্বাৰা স্বাভাৱিকতে প্ৰভাৱিত হৈছিল আৰু ইয়াৰ নিজৰ কালৰ পৰাই সমাজবাদৰ উন্নয়ন বৰকৈ প্ৰভাৱিত কৰিছিল। য়ুৰোপৰ তিনিখন অগ্ৰগামী উদ্যোগপ্ৰধান দেশ ইংলেণ্ড, ফ্ৰান্স আৰু জাৰ্মানীত প্ৰত্যেকখন দেশৰ বনুৱা শ্ৰেণীৰ শক্তি আৰু পৰিস্থিতি অনুসাৰে সমাজবাদৰ উন্নয়ন অলপ ভিন্ন প্ৰকাৰে হৈছিল। মুঠতে কবলৈ হলে ইংলেণ্ডৰ সমাজবাদ ৰক্ষণশীল আছিল আৰু ই ক্ৰমবিকাশৰ পদ্ধতিত আৰু ধীৰ উদ্গতিত বিশ্বাস কৰিছিল। য়ুৰোপৰ প্ৰধান ভূমি ভাগৰ সমাজবাদ বেছি উগ্ৰপন্থী আৰু বিপ্লৱী আছিল। আমেৰিকাত দেশখনৰ বিৰাট আয়তনৰ গুণত আৰু তাত বনুৱাৰ অভাৱৰ কাৰণে অৱস্থা বৰ বেলেগ আছিল, সেই কাৰণে বহুকাল তাত বনুৱা শ্ৰেণীৰ সবল আন্দোলন নহৈছিল।

শতাব্দীৰ মাজভাগৰপৰা এটা পুৰুষ বৃটিছ উদ্যোগে পৃথিৱীত আধিপত্য কৰিছিল আৰু উদ্যোগৰ লাভ আৰু ভাৰতবৰ্ষ আৰু আন অধীনস্থ ৰাজ্যবিলাকৰ শোষণ এই দুয়োফালৰপৰা পোৱা সম্পত্তিৰ সোঁত ইংলণ্ডলৈ বৈ আছিল। বিৰাট পৰিমাণৰ এই সম্পত্তিৰ এটা ভাগ আনকি বনুৱাবিলাকৰ হাতলৈকো যাব পাৰিছিল, তাৰ বাবে তেওঁলোকৰ জীৱন-ধাৰণৰ মান ইমান ওপৰলৈ উঠিছিল যে তেওঁলোকে তেনে অৱস্থা আগেয়ে কেতিয়াও পোৱা নাছিল। সমৃদ্ধি আৰু বিপ্লৱ লগাৰ খল অতি অলপ। বৃটিছ বনুৱাবিলাকৰ বিপ্লৱৰ পুৰণিকলীয়া তেজ নাইকীয়া হৈছিল। আনকি বৃটিছ মাৰ্ক্সা সমাজবাদো আন সকলোবিলাতকৈ বেছি নিৰ্জু হৈছিল। ইয়াক ফেবিয়ানবাদ ('ফেবিয়ানিজিম্') বোলা হৈছিল, প্ৰাচীন কালৰ ৰোমান সেনাপতি এজনৰ নামৰপৰা এই নাম হৈছিল, এই সেনাপতিজনে শত্ৰুৰ লগত প্ৰত্যক্ষ সমৰ চলাবলৈ অমান্তি হৈ সময় লৈ ক্ৰমে ক্ৰমে শত্ৰুক অকৰ্মণ্য কৰিছিল। ১৮৬৭ খ্ৰীঃত বৃটেনত ভোটাধিকাৰ আৰু বেছিকৈ বঢ়োৱা হৈছিল আৰু নগৰৰ কিছুমান বনুৱাই ভোটৰ অধিকাৰ পাইছিল। বনুৱা সংঘবিলাক এনে সদাচাৰী আৰু সুখী আছিল যে বৃটেনৰ উদাৰ নৈতিক দলে বনুৱাৰ ভোট পাইছিল।

এইদৰে ইংলেণ্ড সমৃদ্ধিৰ মাজত আৰাম আৰু সন্তোষত থকা কালত য়ুৰোপৰ প্ৰধান ভূমিভাগত নতুন মত এটাই উৎসাহী আৰু উগ্ৰ সমৰ্থন পাইছিল। ই আছিল অৰাজকতাবাদ। ইয়াৰ বিষয়ে একো নজনা বহুত মানুহক এই শব্দটোৱে ভয় খুৱাই যেন লাগে। অৰাজকতাবাদে বুজাইছিল এনে এখন সমাজ য'ত বিমানকৈ সম্ভৱ সিমানলৈ কেন্দ্ৰীয় শাসন ব্যৱস্থা নেথাকে আৰু য'ত ব্যক্তি স্বাধীনতা বহুত পৰিমাণে থাকে। অৰাজকতাবাদীসকলৰ আদৰ্শ অসাধাৰণভাৱে উচ্চ আছিল, সেই আদৰ্শ আছিল "এনে এখন জাতি সমবায়ৰ আদৰ্শত বিশ্বাস, যিখন প্ৰতিষ্ঠিত হব লাগিব পৰৰ স্বাৰ্থৰ কাৰণে মানুহে জীৱন চলোৱাৰ, সংহতিৰ আৰু পৰৰ অধিকাৰৰ প্ৰতি উপৰাচি দেখুওৱা শ্ৰদ্ধাৰ ভেটিত। শাসন ব্যৱস্থাৰ ফালৰপৰা জোৰ কৰা বা বাধ্য কৰাৰ কথা তাত থাকিব নেলাগে।" ঠোৰু (Thoreau) নামৰ আমেৰিকান এজনে কৈছিল "যি শাসন ব্যৱস্থাই মুঠেই শাসন নকৰে, সিয়ে আটাইতকৈ ভাল, আৰু যেতিয়া মানুহ ইয়াৰ কাৰণে সাজু হব, তেতিয়া তেওঁলোকে সেই প্ৰকাৰৰে শাসন ব্যৱস্থা পাব।"

সকলোৰে কাৰণে নিখুঁত স্বাধীনতা, প্ৰত্যেকে প্ৰত্যেকক শ্ৰদ্ধা কৰা, সকলোফালে নিঃস্বাৰ্থতা, উপৰাচি দিয়া সহযোগ—এইটো অতি সুন্দৰ আদৰ্শ যেন লাগে,

কিন্তু সকলোবিলাক স্বাৰ্থপৰতা আৰু হিংসাৰে পৰিপূৰ্ণ আজিৰ পৃথিৱীখন এই আদৰ্শৰপৰা বহুত আঁতৰত আছে। সম্ভৱতঃ যি স্বেচ্ছাচাৰী আৰু অত্যাচাৰী শাসন ব্যৱস্থাত মানুহবিলাকে বহুকাল কষ্ট ভুগিছিল, তাৰ প্ৰতিক্ৰিয়া স্বৰূপে অৰাজকতাবাদীসকলৰ কেন্দ্ৰীয় শাসন ব্যৱস্থা নোহোৱাৰ নাইবা অতি কম শাসন ব্যৱস্থা হোৱাৰ বাঞ্ছাটোৰ উৎপত্তি হৈছিল। চৰকাৰবিলাকে তেওঁলোকক সম্পূৰ্ণ দমন কৰিছিল আৰু তেওঁলোকৰ ওপৰত ভীষণ অত্যাচাৰ কৰিছিল, সেই কাৰণে তেওঁলোকে চৰকাৰ নেলাগে বুলি কৈছিল। অৰাজকতাবাদীবিলাকে আৰু অনুভৱ কৰিছিল যে সমাজবাদৰ কিছুমান গঢ়ত ৰাষ্ট্ৰৰ শাসকসকল উৎপাদনৰ সকলো উপায়ৰ অধিপতি হৈ তেওঁলোকেই অত্যাচাৰী হব পাৰে। সেই কাৰণে অৰাজকতাবাদীসকল এক প্ৰকাৰৰ সমাজবাদী আছিল, তেওঁলোকে স্থানীয় আৰু ব্যক্তি স্বাধীনতাত বৰকৈ প্ৰাধান্য দিছিল। আনফালেদি বহুতো সমাজবাদী অৰাজকতাবাদীসকলৰ মতটো দূৰ ভৱিষ্যতৰ আদৰ্শ স্বৰূপে মানিবলৈ সাজু আছিল, কিন্তু তেওঁলোকৰ মতে কিছুকালৰ কাৰণে সমাজবাদৰ অধীনত ৰাষ্ট্ৰত কেন্দ্ৰীভূত আৰু শক্তিশালী শাসন ব্যৱস্থাৰ প্ৰয়োজন হব। এইদৰে যদিও সমাজবাদ আৰু অৰাজকতাবাদৰ মাজত বহুতো পৰিমাণৰ পাৰ্থক্য আছিল তথাপি প্ৰত্যেকতে এনে কিছুমান আভাস আছিল যিবিলাক কালক্ৰমে পৰস্পৰৰ ওচৰা-ওচৰি আৰু ওপৰা-উপৰি হৈছিল।

আধুনিক উদ্যোগে সংগঠিত বনুৱা শ্ৰেণী এটাৰ সৃষ্টি কৰিছিল। অৰাজকতাবাদটো ইয়াৰ প্ৰকৃতিৰ কাৰণে সংগঠিত আন্দোলন হব নোৱাৰিছিল। সেই কাৰণে ঔদ্যোগীকৃত যিবিলাক দেশত বনুৱা সংঘ আদিৰ সংবৰ্ধন হৈছিল, সেইবিলাকত অৰাজকতাবাদৰ ভাববিলাক বিস্তৃত হোৱাৰ কম সম্ভাৱনা আছিল। এইদৰে ইংলেণ্ডত লেখত লবলগীয়া সংখ্যাৰ অৰাজকতাবাদী নাছিল, জাৰ্মাণীত নাছিল। কিন্তু উদ্যোগ পদ্ধতিত অনুন্নত দক্ষিণ য়ুৰোপ আৰু পূব য়ুৰোপ এই ভাববিলাকৰ সংবৰ্ধনৰ কাৰণে উপযুক্ত থল আছিল। দক্ষিণ আৰু পূব ফাললৈকে আধুনিক উদ্যোগ বিস্তৃত হোৱাৰ লগে লগে অৰাজকতাবাদ ক্ৰমে বেছি দুৰ্বল হৈছিল। বৰ্তমান কালত ই দৰাচলতে অচল বস্তু, কিন্তু স্পেইনৰ দৰে ঔদ্যোগীকৃত নোহোৱা দেশ একোখনত ই এতিয়াও কিছু পৰিমাণে চলি আছে।

আদৰ্শ স্বৰূপে অৰাজকতাবাদ সুন্দৰ হব পাৰে, কিন্তু ই সহজতে উত্তেজিত হোৱা আৰু অসন্তুষ্ট মানুহবিলাকৰ উপৰিও আদৰ্শৰ ছলত নিজৰ লাভ কৰিবলৈ চেষ্টা কৰা স্বাৰ্থপৰ মানুহবিলাককো আশ্ৰয় দিছিল। ইয়াৰ ফলত এক প্ৰকাৰৰ হিংসাবৃত্তিৰ সৃষ্টি হৈছিল আৰু সকলো মানুহৰ মনত এতিয়া এই শব্দটোৰ লগত হিংসাবৃত্তিটো জড়িত হোৱাত ইয়াৰ বৰকৈ বদনাম হৈছে। কিছুমান অৰাজকতাবাদীয়ে তেওঁলোকৰ ইচ্ছামতে সমাজখন পৰিবৰ্তন কৰিবলৈ বৃহৎ পৰিমাণৰ একো কৰিব নোৱাৰি অসাধাৰণ পদ্ধতি এটাৰে প্ৰচাৰ কাৰ্য চলাবলৈ সিদ্ধান্ত কৰিছিল। এই পদ্ধতিটো আছিল 'কামৰ দ্বাৰা প্ৰচাৰ কাৰ্য', সাহস উদাহৰণৰ প্ৰভাৱ, শাসকৰ অত্যাচাৰ ৰোধ কৰিবলৈ কৰা বীৰত্বপূৰ্ণ কাম আৰু প্ৰাণত্যাগ। বিভিন্ন ঠাইত এই ভাবত চলোৱা বিদ্ৰোহ হৈছিল। যিসকলে এইবিলাকত যোগ দিছিল, তেওঁলোকে সেই সময়তে কৃতকাৰ্যতা আশা নকৰিছিল। তেওঁ-

লোকে নিজৰ আদৰ্শৰ হকে এনে অসাধাৰণ ৰকমৰ প্ৰচাৰ কাৰ্য কৰিবৰ অৰ্থে আপোন ইচ্ছাৰে নিজৰ নিজৰ জীৱন বিপদগ্ৰস্ত কৰিছিল। এই বিদ্ৰোহবিলাক অৱশ্যে দমন কৰা হৈছিল, তাৰ পাচত অৰাজকতাবাদী ব্যক্তিয়ে বোমা মৰা আৰু ৰজা আৰু উচ্চ পদস্থ বিষয়াক গুলীওৱা সন্ত্ৰাসবাদ অনুসৰণ কৰিবলৈ ধৰিছিল। এই নিৰ্বোধ হিংসা বৃত্তি দেখ-দেখকৈ বদ্ধিত দুৰ্বলতা আৰু নিৰাশাৰ চিন আছিল। উনবিংশ শতাব্দীৰ শেষৰ ফালে আন্দোলন স্বৰূপে অৰাজকতাবাদ ক্ৰমে নিস্তেজ হৈ লোপ পাইছিল। বহুতো প্ৰধান অৰাজকতাবাদীয়ে বোমা মৰা আৰু 'কামৰ দ্বাৰা প্ৰচাৰ কাৰ্য' সমৰ্থন নকৰিছিল আৰু তেওঁলোকে ইয়াৰ বিৰুদ্ধে মত প্ৰকাশ কৰিছিল।

কেইজনমান বিখ্যাত অৰাজকতাবাদীৰ নাম মই তোমাক দিওঁ। লক্ষ্য কৰিলে কৌতূহল হোৱা কথা এই যে অৰাজকতাবাদী এই নেতাসকলৰ প্ৰায় সকলোৱেই অসাধাৰণভাৱে শান্ত আৰু আদৰ্শবাদী আৰু ঘৰুৱা জীৱনৰ প্ৰীতিদায়ক লোক আছিল। আটাইতকৈ আগতীয়া অৰাজকতাবাদী নেতাজন আছিল পিয়েৰ প্ৰুধন নামে এজন ফৰাচী লোক। তেওঁ ১৮০৯ খ্ৰীঃৰ পৰা ১৮৬৫ খ্ৰীঃলৈ জীৱিত আছিল। তেওঁতকৈ বয়সত অলপ সৰু জন আছিল মাইকেল বাকুনিন নামৰ ৰুচ সম্ভ্ৰান্ত লোক। তেওঁ য়ুৰোপীয় বনুৱাবিলাকৰ বিশেষকৈ দক্ষিণ য়ুৰোপত জনপ্ৰিয় নেতা আছিল। মাৰ্ক্সৰ লগত তেওঁৰ সংঘৰ্ষ হৈছিল, মাৰ্ক্সে তেওঁক আৰু তেওঁৰ অনুচৰবিলাকক মাৰ্ক্সে পতা আন্তৰ্জাতিক বনুৱা সংঘৰপৰা খেদি পঠিয়াইছিল। তৃতীয় নামটোৱে আমাক প্ৰায় আমাৰ দিনলৈকে আনে, সেই নামটো আছিল পিটাৰ ক্ৰপাট্‌কিন, তেৱোঁ ৰুচ আছিল আৰু এজন তলতীয়া ৰজা আছিল। তেওঁ অৰাজকতাবাদ আৰু আন আন বিষয়ৰ কিছুমান অতি আকৰ্ষণীয় কিতাপ লেখি থৈ গৈছে। চতুৰ্থ আৰু মই ইয়াত উল্লেখ কৰিব খোজা শেষ নামটো হৈছে ইটালীৰ এন্‌ৰিকো মালাটেষ্টা, তেওঁৰ বয়স আশী বছৰৰো অধিক আছিল আৰু তেওঁ উনবিংশ শতাব্দীৰ প্ৰধান অৰাজকতাবাদীসকলৰ শেষ নিদৰ্শন আছিল।

মালাটেষ্টাৰ বিষয়ে এটা মনোহৰ আখ্যান আছে, মই সেই আখ্যানটো তোমাক কোৱা উচিত হব। ইটালীৰ বিচাৰালয় এখনত তেওঁৰ ওপৰত এটা গোচৰ চলোৱা হৈছিল। চৰকাৰী উকিলজনে যুক্তি দেখুৱাইছিল যে সেই অঞ্চলৰ শ্ৰমিক-বিলাকৰ ওপৰত মালাটেষ্টাৰ প্ৰভাৱ অতি গভীৰ আছিল আৰু এই প্ৰভাৱ তেওঁলোকৰ চৰিত্ৰত আমূল পৰিৱৰ্তন সাধিছিল। ই অপৰাধৰ ভাৱ নাইকীয়া কৰিছিল আৰু অপৰাধ ক্ৰমে বিৰল হৈছিল। যদি সকলোবিলাক অপৰাধ নাইকীয়া হয়, তেনে-হলে বিচাৰালয়ে কি কাম কৰিব? সেই কাৰণে মালাটেষ্টাক বন্দীশাললৈ পঠিওৱা উচিত হব। আৰু ছমাহৰ কাৰণে তেওঁক বন্দীশাললৈ পঠিওৱা হৈছিল।

দুৰ্ভাগ্যক্ৰমে অৰাজকতাবাদক হিংসাবৃত্তিৰ লগত অনুচিতভাৱে বেছিকৈ একে বুলি ভবা হৈছে আৰু মানুহে পাহৰি গৈছে যে ই এটা দাৰ্শনিক তত্ত্ব আৰু এনে এটা আদৰ্শ যি বহুতো উৎকৃষ্ট লোকক আকৃষ্ট কৰিছিল। আদৰ্শ স্বৰূপে ই এতিয়াও আমাৰ বৰ্তমান কালৰ ভুল ভ্ৰান্তিপূৰ্ণ পৃথিৱীখনৰপৰা বহুত আঁতৰত আছে আৰু আমাৰ আধুনিক সভ্যতা ইমান জটিল যে ই দেখুৱা সহজ প্ৰতিকাৰবিলাক এই সভ্যতাৰ কাৰণে উপযোগী নহয়।

১৩৩

কাৰ্লমাৰ্ক্স আৰু বনুৱাৰ সংগঠনবিলাকৰ সংবৰ্ধন

১৪ ফেব্ৰুৱাৰী, ১৯৩৩

উনবিংশ শতাব্দীৰ প্ৰায় মাজভাগত ইউৰোপৰ শ্ৰমিক আৰু সমাজবাদৰ পৃথিৱী-খনত সকলোকে আকৃষ্ট কৰিব পৰা ব্যক্তিত্বৰ এজন নতুন লোকৰ আবিৰ্ভাৱ হৈছিল। এই লোকজন আছিল কাৰ্লমাৰ্ক্স, তেওঁৰ নামটো এই চিঠিবিলাকত আগতে উল্লেখ কৰা হৈছে। তেওঁ জাৰ্মাণ ইহুদী আছিল। ১৮১৮ খ্ৰীঃত তেওঁৰ জন্ম হয়। তেওঁ আইন, বুৰঞ্জী আৰু দৰ্শনৰ ছাত্ৰ আছিল। বাতৰি কাকত এখন প্ৰকাশ কৰাৰ কাৰণে জাৰ্মাণীৰ কৰ্তৃপক্ষৰ লগত তেওঁৰ সংঘৰ্ষ হৈছিল। তেওঁ পেৰিচলৈ গ'ল, তাত নতুন মানুহবিলাকৰ লগত সম্পৰ্ক ঘটিল আৰু তেওঁ সমাজবাদ আৰু অৰাজকতাবাদৰ বিষয়ৰ নতুন নতুন কিতাপ পঢ়ি সমাজবাদী ভাবাপন্ন হ'ল। ইয়াতে তেওঁ ফ্ৰিয়েড্ৰিক এঙ্গেল্‌চ নামৰ আন এজন জাৰ্মাণৰ লগ পাইছিল, এওঁ আগতে ইংলেণ্ডৰ স্থায়ী বাসিন্দা হৈ ক্ৰমবৰ্দ্ধমান কপাহ উদ্যোগৰ কাৰখানাৰ এজন ধনী মালিক হৈছিল। এঙ্গেল্‌চো সমাজৰ প্ৰচলিত অৱস্থাত অসুখী আৰু অসন্তুষ্ট আছিল আৰু তেওঁৰ মনে চাৰিওকালে দেখা দৰিদ্ৰ আৰু শোষণৰ প্ৰতিকাৰ বিচাৰিছিল। ৰবাৰ্ট ওৱেনৰ ভাববিলাকে আৰু তেওঁৰ সংস্কাৰৰ চেষ্টাই এঙ্গেল্‌চৰ মন আকৃষ্ট কৰিছিল আৰু তেওঁ 'ওৱেনাইট' হৈছিল, ওৱেনৰ অনুচৰবিলাকক ওৱেনাইট বোলা হৈছিল। তেওঁৰ পেৰিচলৈ আগমনেও মনৰ পৰিৱৰ্ত্তন সাধিছিল। এই আগমনৰ ফলতে তেওঁ প্ৰথমবাৰৰ কাৰণে কাৰ্ল মাৰ্ক্সক লগ পাইছিল। তেতিয়াৰ পৰা এওঁলোক দুয়ো অন্তৰঙ্গ বন্ধু আৰু সহকৰ্মী হৈছিল, দুয়োৰে মত একে আছিল আৰু একেটা উদ্দেশ্যেৰে দুয়ো সৰ্বান্তঃ-কৰণে কাম কৰিছিল। তেওঁলোক দুয়োৰে বয়স প্ৰায় একে আছিল। দুয়োৰে মাজত সহযোগ ইমান ঘনিষ্ঠ আছিল যে তেওঁলোকে প্ৰকাশ কৰা সৰহভাগ কিতাপেই যুটীয়া কিতাপ আছিল।

সেই কালৰ লুই ফিলিপ্‌চৰ চিনৰ চৰকাৰে মাৰ্ক্সক পেৰিচৰপৰা উলিয়াই পঠিয়াইছিল। তেওঁ লণ্ডনলৈ গৈ তাত বহুত বছৰ বাস কৰি 'বৃটিছ মিউজিয়াম' নামৰ সংগ্ৰহালয়টোত থকা কিতাপবিলাকৰ মাজত নিজক লুকাই ৰাখিছিল। তেওঁ কঠোৰ পৰিশ্ৰম কৰি নিজৰ তথ্যবিলাক নিখুঁত কৰি সেই-

বিলাকৰ বিষয়ে লিখিছিল। সেইবুলি তেওঁ সাধাৰণ বিষয়বিলাকৰ পৰা বিচ্ছিন্ন হৈ তথ্য আৱিষ্কাৰ কৰি নিজৰ মত প্ৰচাৰ কৰা লোক বা দাৰ্শনিক যাথোন নাছিল। তেওঁ একালে সমাজবাদী আন্দোলনৰ বৰং অস্পষ্ট ভাৱবিলাকৰ উন্নয়ন সাধি সেইবিলাক সুস্পষ্ট কৰি দাঙি ধৰিছিল আৰু আনকালে আন্দোলনটোৰ আৰু বনুৱাবিলাকৰ সংগঠনত সতেজ আৰু প্ৰধান ভাগ লৈছিল। য়ুৰোপৰ বিপ্লৱৰ বছৰ ১৮৪৮খ্ৰীঃত যিবিলাক ঘটনা ঘটিছিল সেইবিলাকে তেওঁক বেছিকৈ উদ্বিগ্ন কৰিছিল। ঠিক সেই বছৰতে তেওঁ আৰু এঙ্গেল্‌চে যুটীয়াভাৱে যিখন ঘোষণাপত্ৰ জাহিৰ কৰিছিল, সি অতি বিখ্যাত হৈছে। এইখনেই সাম্যবাদী 'ঘোষণা পত্ৰ'। ইয়াত তেওঁলোকে ডাঙৰ ফৰাচী বিপ্লৱটোৰ আৰু তাৰ পাছত হোৱা ১৮৩০ খ্ৰীঃৰ আৰু ১৮৪৮ খ্ৰীঃৰ বিদ্ৰোহৰ পটভূমিত যিবিলাক ভাব আছিল, সেইবিলাকৰ বিষয়ে আলোচনা কৰি দেখুৱাইছিল—কেনেকৈ সেইবিলাক বাস্তৱ অৱস্থাৰ কাৰণে অকুলন আৰু তেনে অৱস্থাৰ লগত সঙ্গতিহীন আছিল। তেওঁলোকে সেইকালত প্ৰচলিত সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ গণতান্ত্ৰিক ধ্বনিবিলাকৰ সমালোচনা কৰি দেখুৱাইছিল যে সাধাৰণ মানুহৰ কাৰণে সেইবিলাকৰ অৰ্থ অতি কম আৰু সেইবিলাকে ৰাষ্ট্ৰৰ শাসন চলোৱা 'বুৰ্জোৱা' বা মধ্যবিত্তৰ কৰ্তৃপক্ষক এখন পবিত্ৰ ঢাকনি দিছিল। তাৰ পাচত তেওঁলোকে নিজৰ সমাজবাদৰ তথ্যটো আদ্যোপান্তে প্ৰকাশ কৰি সকলোবিলাক বনুৱালৈকে এইদৰে গোহাৰি জনাই ঘোষণা পত্ৰখন শেষ কৰিছিল : "পৃথিৱীৰ শ্ৰমিকসকল, তোমালোক একগোট হোৱা। তোমালোকক বান্ধি থোৱা শিকলিডাল হানি হোৱাৰ বাহিৰে, তোমালোকৰ হানি হবলৈ একো নাই, আৰু তোমালোকে জয় কৰিবলৈ তোমালোকৰ কাৰণে এখন পৃথিৱী আছে।"

এই গোহাৰিখন কামৰ কাৰণে আবেদন আছিল। মাৰ্ক্সে ইয়াৰ প্ৰকাশৰ পাছৰ পৰাই বাতৰি কাকত আৰু সৰু সৰু কিতাপ লিখি নেবানেপেৰাকৈ প্ৰচাৰ কাৰ্য চলাইছিল আৰু বনুৱাৰ সংগঠনবিলাক লগ লগাবলৈ চেষ্টা কৰিছিল। য়ুৰোপত ডাঙৰ সঙ্কটৰ কাল এটাৰ সম্ভাৱনাৰ কথা তেওঁ অনুভৱ কৰিছিল যেন দেখা যায় আৰু ইচ্ছা কৰিছিল যে বনুৱাবিলাক তাৰ কাৰণে সাজু হোৱা উচিত যাতে তেওঁলোকে তাৰ সুযোগ লব পাৰে। তেওঁৰ সমাজবাদী তথ্যমতে পুঁজিবাদী পদ্ধতিত প্ৰকৃততে সঙ্কট নহৈ নোৱাৰিছিল ; ১৮৫৪ খ্ৰীঃত নিউয়ৰ্কৰ বাতৰি কাকত এখনত মাৰ্ক্সে লেখিছিল :

"তথাপি আমি পাহৰিব নেলাগিব যে য়ুৰোপত ষষ্ঠ শক্তি এটা আছে, এই শক্তিটোৱে কোনো কোনো মুহূৰ্তত 'বৃহৎ শক্তি' বোলা পাঁচোটা শক্তিৰ ওপৰত আধিপত্য চলায় তেওঁলোক সকলোকে ভয়ত কম্পমান কৰে। এই শক্তিটো হৈছে বিপ্লৱ। বহুকাল নিৰলে অৱসৰ লৈ থকাৰ পাছত এতিয়া ইয়াক ঘোৰ সঙ্কট আৰু অনাহাৰে পুনৰ যুদ্ধক্ষেত্ৰলৈ মাতিছে।

"...যুঠেই ইঙ্গিত এটাবহে প্ৰয়োজন, ইঙ্গিত পালেই য়ুৰোপৰ ষষ্ঠ শ্ৰেষ্ঠ শক্তিটো চিক্‌মিকিয়া বৰ্ম্ম পিন্ধি হাতত তৰোৱাল লৈ অলিম্পিয়ান্ পৰ্ব্বতৰ মাৰনিৰ পৰা মিনাৰ্ভা আগুৱাই যোৱাৰ দৰে আগুৱাই যাব। য়ুৰোপৰ আসন্ন যুদ্ধই ইঙ্গিতটো দিব।"

য়ুৰোপৰ আসন্ন বিপ্লৱৰ সম্পৰ্কত মাৰ্ক্স ভুল ভবিষ্যৎ-বক্তা বুলি প্ৰমাণিত

নহৈছিল। তেওঁ সেইদৰে লিখাৰ পাছত য়ুৰোপৰ এটা ব্যাপক বিপ্লৱ ঘটোঁতে ৬০ বছৰতকৈও অধিককাল আৰু এখন বিশ্ব-যুদ্ধৰ প্ৰয়োজন হ'ল। আৰিকাগ্নিৰ পাৰিছে। যে ১৮৭১ খ্ৰীঃত হোৱা এটা চেষ্টা, পেৰিচৰ 'কমিউন' নিষ্ঠুৰভাৱে দমন কৰা হৈছিল।

১৮৬৪ খ্ৰীঃত মাৰ্ক্স লণ্ডনত বিভিন্ন মতবাদী লোকৰ সন্মিলন এখন বহুলাভত কৃতকাৰ্য হৈছিল। তাত বহুতো সমষ্টি আছিল, সকলোবিলাকে বৰং অস্পষ্ট-ভাৱে নিজক সমাজবাদী বুলিছিল। একালে আছিল বিদেশী শাসনৰ অধীনত থকা য়ুৰোপৰ বহুত দেশৰ গণতন্ত্ৰী আৰু দেশপ্ৰেমীসকল, এওঁলোকৰ সমাজ-বাদৰ ওপৰত বিশ্বাস সুদূৰ ভৱিষ্যতৰ কাৰণে আছিল আৰু এওঁলোকৰ তৎকালীন আগ্ৰহ জাতীয় স্বাধীনতালৈ বেছি আছিল ; আনকালে আছিল অৰাজকতাবাদী-সকল, এওঁলোক তৎকালীন যুদ্ধৰ সম্পূৰ্ণ পক্ষপাতী আছিল। মাৰ্ক্সৰ বাহিৰেও তাত আন এজন প্ৰধান ব্যক্তি আছিল, অৰাজকতাবাদী নেতা বাকুনিন। তেওঁ বহুত বছৰ বন্দীশালত থকাৰ পাছত তিনি বছৰৰ পূৰ্বে চাইবেৰিয়াৰপৰা পলাই আহিবলৈ সমৰ্থ হৈছিল। বাকুনিনৰ অনুচৰবিলাক মাইকৈ দক্ষিণ য়ুৰোপৰ ইটালি, স্পেন আদি লেটিন দেশবিলাকৰ আছিল,এই দেশবিলাক উদ্যোগ বিষয়ত পিচপৰা আৰু অনুন্নত আছিল। এই মানুহবিলাক নিৰনুৱা বুদ্ধিজীৱী আৰু দলভুক্ত নোহোৱা আৰু প্ৰচলিত সমাজ ব্যৱস্থাত ঠাই নোপোৱা বিপ্লৱী আছিল। মাৰ্ক্সৰ অনুচৰবিলাক উদ্যোগপ্ৰধান দেশবিলাকৰ, বিশেষকৈ জাৰ্মাণীৰ লোক আছিল, সেইবিলাক দেশত বনুৱাৰ অৱস্থা বেছি ভাল আছিল। এইদৰে মাৰ্ক্স বৰ্দ্ধনশীল, সংহিত আৰু আপেক্ষিকভাৱে সবৃদ্ধিশালী বনুৱা শ্ৰেণীৰ প্ৰতিনিধি আছিল। বাকুনিন আছিল বেছি দুখীয়া আৰু অসংগঠিত বনুৱা, বুদ্ধিজীৱী আৰু ৰাজনীতি বিষয়ত অসন্তুষ্ট মানুহবিলাকৰ প্ৰতিনিধি। মাৰ্ক্সে তেওঁৰ সমাজবাদী তথ্যবিলাকত বনুৱাবিলাকক কামৰ সময় নহালৈকে ধৈৰ্যৰে সংগঠিত কৰাৰ আৰু তেওঁলোকক শিক্ষিত কৰাৰ পক্ষপাতী আছিল, তেওঁ কামৰ সময় যথেষ্ট শীঘ্ৰে আহিব বুলি আশা কৰিছিল। বাকুনিন আৰু তেওঁৰ অনুচৰবিলাক তৎ-কালীন কামৰ পক্ষপাতী আছিল। যুঁজতে কৰলৈ হলে মাৰ্ক্সৰ জয় হৈছিল। 'আন্তৰ্জাতিক বনুৱা সন্মিলন' এখন স্থাপন কৰা হ'ল। এইখনেই 'আন্তৰ্জা-তিক' নাম পোৱা প্ৰথম সন্মিলন আছিল।

তিনি বছৰৰ পাছত ১৮৬৭ খ্ৰীঃত মাৰ্ক্সৰ শ্ৰেষ্ঠ গ্ৰন্থ 'ডাচ কেপিটেল' বা 'মূলধন' জাৰ্মাণ ভাষাত প্ৰকাশ কৰা হৈছিল। ই তেওঁৰ লণ্ডনত বহুত বছৰৰ পৰিশ্ৰমৰ ফল আছিল আৰু ইয়াত অৰ্থনীতিৰ প্ৰচলিত তথ্যবিলাকৰ বিশ্লেষণ আৰু সমালোচনা কৰিছিল আৰু তাত তেওঁৰ নিজৰ সমাজবাদী তথ্যবিলাকৰ বিশদ ব্যাখ্যা কৰিছিল। এইখন নিখুঁত বৈজ্ঞানিক গ্ৰন্থ আছিল। তেওঁ ইয়াত সকলোবিলাক অস্পষ্টতা আৰু আদৰ্শবাদ দি বুৰঞ্জী আৰু অৰ্থনীতিৰ উন্নয়নৰ নিৰপেক্ষভাৱে আৰু বৈজ্ঞানিক পদ্ধতিৰে আলোচনা কৰিছিল। তেওঁ বিশেষকৈ বৃহৎ যন্ত্ৰৰ ঔদ্যোগিক সভ্যতাৰ সংবৰ্ধনৰ বিষয়ে আলোচনা কৰিছিল আৰু ক্ৰমবিকাশ, বুৰঞ্জী আৰু মানৱ সমাজত শ্ৰেণী সংঘাতৰ বিষয়ে কিছুমান সুদূৰ প্ৰসাৰী সিদ্ধান্তত উপনীত হৈছিল। সেইকাৰণে মাৰ্ক্সৰ

এই নতুন, সুসন্নিবিষ্ট আৰু বিশ্বাসযোগ্য যুক্তিত প্ৰতিষ্ঠিত সমাজবাদক ‘বৈজ্ঞানিক সমাজবাদ’ বোলা হৈছিল। ইমানদিন প্ৰচলিত অস্পষ্ট, ‘কাল্পনিক’ বা ‘আদৰ্শবাদী’ সমাজবাদৰ লগত ইয়াৰ বিৰোধ দেখুৱাবলৈ এই নাম দিয়া হৈছিল। মাৰ্ক্সৰ ‘মূলধন’ কিতাপখন পঢ়িবলৈ সহজ নহয়, বাস্তৱতে পাতল মনেৰে পঢ়িব পৰা বিবিলাক কিতাপৰ কথা ভাবিব পাৰি, সেই সকলোবিলাকতকৈ ই বহুত বেছি আঁতৰৰ। তথাপিও বাছকবনীয়া যি কেইখন তাকবীয়া কিতাপে বহুত বেছি মানুহৰ চিন্তাৰ পদ্ধতিত পাঁচ বছৰাই তেওঁলোকৰ সমগ্ৰ ভাৱধাৰাৰ গতি পৰিৱৰ্তিত কৰি মানৱ জাতিৰ উন্নয়ন প্ৰভাৱিত কৰিছে, ই সেই খনৰ লগৰ।

১৮৭১ খ্ৰীঃত পেৰিচৰ ‘কমিউন’ৰ বিষাদান্ত ঘটনাটো ঘটিছিল; সম্ভৱতঃ এইটোৱেই সজ্ঞানে কৰা প্ৰথম সমাজবাদী বিদ্ৰোহ আছিল। এই বিদ্ৰোহে য়ুৰোপৰ চৰকাৰবিলাকক ভয় খুৱাইছিল আৰু তেওঁলোকক বনুৱা আন্দোলনৰ প্ৰতি বেছি কঠোৰ কৰিছিল। তাৰ পিছৰ বছৰত মাৰ্ক্সে প্ৰতিষ্ঠা কৰা বনুৱাৰ ‘আন্তৰ্জাতিক সন্মিলন’ৰ এখন সভা হৈছিল আৰু ইয়াৰ প্ৰধান কাৰ্যালয় নিউয়ৰ্কলৈ স্থানান্তৰিত কৰাত তেওঁ কৃতকাৰ্য হৈছিল। মাৰ্ক্সে এনে কৰাৰ দেখ দেখ কাৰণ আছিল এই যে তেওঁ বাকুনিনৰ অৰাজকতাবাদী অনুচৰবিলাকৰ সঙ্গ এৰিব খুজিছিল আৰু সম্ভৱতঃ তেওঁ ভাবিছিল যে পেৰিচৰ ‘কমিউন’ৰ বাবে খং কৰি থকা য়ুৰোপৰ চৰকাৰবিলাকৰ অধীনতকৈ নিউয়ৰ্কত তেওঁ বেছি নিৰাপদে বাস কৰিব পাৰিব। কিন্তু আন্তৰ্জাতিক সন্মিলনখন ইয়াৰ প্ৰধান কৰ্মক্ষেত্ৰৰপৰা ইমান দূৰৈত তিষ্ঠি থকাটো সম্ভৱপৰ নাছিল। ইয়াৰ সকলো শক্তি য়ুৰোপত আছিল, আনকি য়ুৰোপতো বনুৱা আন্দোলনৰ দুৰ্দিন হৈ আছিল। সেই কাৰণে প্ৰথম আন্তৰ্জাতিক সন্মিলনখন কালক্ৰমে লুপ্ত হৈছিল।

মাৰ্ক্সবাদ বা মাৰ্ক্সীয় সমাজবাদ য়ুৰোপৰ সমাজবাদীবিলাকৰ মাজত, বিশেষকৈ জাৰ্মাণী আৰু অষ্ট্ৰীয়াত বিস্তৃত হৈছিল, এই দুখন দেশত ই সাধাৰণতে ‘সামাজিক গণতন্ত্ৰ’ নামে জনাজাত হৈছিল। ইংলণ্ডে কিন্তু ইয়াক ভাল চকুৰে নেচাইছিল। সেই কালত সেই দেশ ইমান সমৃদ্ধিশালী আছিল যে ই কোনো ৰকমৰ প্ৰগতিবাদী সামাজিক তথ্য গ্ৰহণ নকৰিছিল। ‘ফেবিয়ান সমাজ’ বুলিছি মাৰ্কা সমাজবাদৰ নিদৰ্শন আছিল, সুদূৰ ভৱিষ্যতত পৰিৱৰ্তনৰ উদ্দেশ্যে ই নিৰ্জু কাৰ্যসূচী পালিছিল। ফেবিয়ানবিলাকৰ বনুৱাৰ লগত একো সম্পৰ্ক নাছিল। তেওঁলোক আছিল প্ৰগতিবাদী উদাৰনৈতিক বুদ্ধিজীৱী। জৰ্জ বাৰ্ণাৰ্ড শ্ব এজন আগতীয়া ফেবিয়ান আছিল। চিডনি ৱেব নামৰ আন এজন প্ৰধান ফেবিয়ানৰ বিখ্যাত বাক্যাংশ ‘ক্ৰমতাৰ অৱশ্যম্ভাবিতা’ৰপৰা তেওঁলোকৰ নীতি বুজিব পাৰি।

ফ্ৰান্সত ‘কমিউন’ৰ পাছত সমাজবাদে বাৰ বছৰ ধীৰে ধীৰে সুস্থতা লাভ কৰাৰ পিছতহে পুনৰ সতেজ শক্তি হৈছিল, কিন্তু তাত ই নতুন ৰূপ লৈছিল, এই ৰূপটোত অৰাজকতাবাদ আৰু সমাজবাদৰ সংমিশ্ৰণ হৈছিল। ইয়াক ‘চিণ্ডি-কেলিজম’ বোলা হৈছিল, কৰাচী ‘চিণ্ডিকেট’ অৰ্থাৎ বনুৱাৰ সংগঠন বা বনুৱা-সংঘ শব্দটোৰপৰা এই নাম হৈছিল। সমাজবাদী তত্ত্বমতে সমগ্ৰ সমাজ খনৰ প্ৰতিনিধিস্ব কৰা ৰাষ্ট্ৰৰ উৎপাদনৰ উপায়বিলাকৰ অৰ্থাৎ মাটি কাৰখানা

আদিৰ মালিক হোৱা উচিত আৰু সেইবিলাকত ৰাষ্ট্ৰৰ আধিপত্য থকা উচিত। সমাজবাদীৰ নীতি কিমান দূৰলৈকে প্ৰয়োগ কৰা উচিত—সেই বিষয়ে অল্প মতানৈক্য আছিল। সঁজুলি, ঘৰুৱা-যন্ত্ৰ আদি ব্যক্তিগত এনে বহুতো বস্তু আছে, যিবিলাকত সমাজবাদৰ নীতি প্ৰয়োগ কৰা দেখদেখকৈ অসঙ্গত। কিন্তু সমাজবাদীসকলে একমত হৈ কৈছিল যে আন মানুহৰ কামৰপৰা ব্যক্তিগত লাভ কৰিবৰ কাৰণে যিবিলাক বস্তু ব্যৱহাৰ কৰিব পৰা হৈছিল, সেই সকলোবিলাকতে সমাজবাদৰ নীতি প্ৰয়োগ কৰা উচিত অৰ্থাৎ সেই সকলোবিলাককে ৰাষ্ট্ৰৰ সম্পত্তি কৰা উচিত। অৰাজকতাবাদীবিলাকৰ দৰে 'চিণ্ডিকেলিষ্ট' বিলাকে ৰাষ্ট্ৰক ভাল নেপাইছিল আৰু তেওঁলোকে ইয়াৰ ক্ষমতা সীমাবদ্ধ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে ইচ্ছা কৰিছিল যে প্ৰত্যেকটো উদ্যোগতে তাৰ বনুৱাবিলাকৰ, তাৰ 'চিণ্ডিকেট' ৰ আধিপত্য থকা উচিত। ভাবটো এনে আছিল যে বিভিন্ন 'চিণ্ডিকেটে' এখন সাধাৰণ পৰিষদলৈ প্ৰতিতিনিধি নিৰ্বাচিত কৰি পঠাব। এই পৰিষদখনে সমগ্ৰ দেশৰ সকলো বিষয়ৰ তত্ত্বাৱধান কৰিব আৰু সাধাৰণ বিষয়বিলাকৰ কাৰণে এক প্ৰকাৰৰ পাৰ্লামেণ্ট (সংসদ) স্বৰূপে কাম কৰিব, কিন্তু উদ্যোগৰ আভ্যন্তৰীণ ব্যৱস্থাত হস্তক্ষেপ কৰিবলৈ ইয়াৰ ক্ষমতা নেথাকিব। এই অৱস্থা ঘটাবৰ কাৰণে 'চিণ্ডিকেলিষ্ট' বিলাকে দেশখনৰ মানুহৰ জীৱন চলোৱাৰ প্ৰচলিত ব্যৱস্থা অচল কৰি তেওঁলোকৰ উদ্দেশ্য সিদ্ধি কৰিবৰ অৰ্থে সাধাৰণ ধৰ্মঘট কৰাৰ মত দিছিল। মাৰ্ক্সবাদীবিলাকে 'চিণ্ডিকেলিজম' মুঠেই অনুমোদন নকৰিছিল, কিন্তু যথেষ্ট বিস্ময়ৰ কথা এই যে 'চিণ্ডিকেলিষ্ট' বিলাকে মাৰ্ক্সক (তেওঁৰ মৃত্যুত পাছত) তেওঁলোকৰ ভিতৰৰে এজন বুলি বিবেচনা কৰিছিল।

১৮৮৩ খ্ৰীঃত মুঠেই ৫০ বছৰৰ পূৰ্বে কাৰ্ল মাৰ্ক্সৰ মৃত্যু হৈছিল। সেই কালৰ ভিতৰত ইংলেণ্ড, জাৰ্মাণী আৰু আন উদ্যোগ প্ৰধান দেশবিলাকত পৰাক্ৰমী বনুৱা সংঘ প্ৰতিষ্ঠিত হৈছিল। বৃটিছ উদ্যোগৰ আগতে শ্ৰেষ্ঠ অভ্যুদয় হৈছিল, কিন্তু জাৰ্মাণী আৰু আমেৰিকাৰ ক্ৰমে বাঢ়ি যোৱা প্ৰতিযোগিতাৰ ফলত সেই কালত ইয়াৰ অৱনতি হৈছিল। অৱশ্যে আমেৰিকাৰ প্ৰাকৃতিক সুযোগ বৰ বেছি আছিল। সেইবিলাকে সেই দেশক উদ্যোগৰ সংবৰ্দ্ধন দ্ৰুত গতিৰে হোৱাত সহায় কৰিছিল। জাৰ্মাণীত ৰাজনৈতিক স্বেচ্ছাচাৰী (এখন দুৰ্বল আৰু ক্ষমতাহীন সংসদৰ দ্বাৰা কোমল কৰা) শাসন ব্যৱস্থা আৰু ঔদ্যোগিক উন্নয়নৰ বিস্ময়কৰ সংমিশ্ৰণ হৈছিল। বিচমাৰ্কৰ অধীনত জাৰ্মাণ চৰকাৰে আৰু তাৰ পাছতো বহুতো প্ৰকাৰে উদ্যোগক সহায় কৰিছিল আৰু সামাজিক সংস্কাৰৰ দ্বাৰা বনুৱা শ্ৰেণীৰ সমৰ্থন লাভ কৰিবলৈ চেষ্টা কৰিছিল। এইবিলাক সংস্কাৰে বনুৱাবিলাকৰ অৱস্থা বেছি ভাল কৰিছিল। সেইদৰে ইংৰাজ উদাৰনৈতিকসকলেও সমাজ সংস্কাৰৰ কিছুমান আইন কৰি বনুৱাই কাম কৰাৰ ঘণ্টা কমাই তেওঁলোকৰ অৱস্থা কিছু পৰিমাণে উন্নত কৰিছিল। যেতিয়ালৈকে দেশত সমৃদ্ধি চলি আছিল, তেতিয়ালৈকে এই প্ৰণালীবিলাক কাৰ্যকৰী হৈ আছিল আৰু ইংৰাজ বনুৱাবিলাক নিয়মীয়া আৰু সেও হৈ আছিল আৰু তেওঁলোকে উদাৰনৈতিকসকলৰ বিশ্বাসী হৈ তেওঁলোকক ভোট দিছিল। কিন্তু অষ্টম দশকত আনবিলাক দেশৰ প্ৰতি-

যোগিতাই সমৃদ্ধিৰ দীৰ্ঘলীয়া যুগটোৰ অন্ত পেলোৱাত ইংলণ্ডত বাণিজ্যৰ অৱনতি ঘটিছিল আৰু বনুৱাৰ মজুৰি কমিছিল। সেই কাৰণে বনুৱাশ্ৰেণীৰ মাজত পুনৰ জাগৰণ হৈছিল আৰু বিপ্লৱৰ ভাব এটাৰ সূচনা হৈছিল। ইংলণ্ডৰ বহুতো মানুহ মাৰ্ক্সবাদৰ সমৰ্থক হ'বলৈ ধৰিছিল।

১৮৮৯ খ্ৰীঃত শ্ৰমিকৰ আন্তৰ্জাতিক সন্মিলন এখন স্থাপন কৰিবলৈ পুনৰ চেষ্টা কৰা হৈছিল। সেই কালত বহুতো বনুৱা-সংঘ আৰু বনুৱাৰ দল সবল আৰু সম্পত্তিশালী আছিল। সেইবিলাকত বহুত বেছি সংখ্যাৰ দৰমহা খোৱা বিষয়ববীয়া আছিল। ১৮৮৯ খ্ৰীঃত স্থাপিত এই আন্তৰ্জাতিক সন্মিলনখনক (মই ভাবোঁ যে ইয়াক 'শ্ৰমিক আৰু সমাজবাদীৰ আন্তৰ্জাতিক সন্মিলন' বোলা হৈছিল) 'দ্বিতীয় আন্তৰ্জাতিক সন্মিলন' বোলা হয়। 'মহাসমৰ' খনৰ সময়লৈকে ২৫ বছৰ ই চলি আছিল, মহাসমৰখনে ইয়াক জুখি চোৱাত ই অকামিলা প্ৰমাণিত হৈছিল। এই আন্তৰ্জাতিক সন্মিলনখনৰ বিষয়বাব চলোৱা এনে বহুতো লোক আছিল যিসকলে পিছত তেওঁলোকৰ নিজৰ নিজৰ দেশত উচ্চপদ লৈছিল। কিছু-মান মানুহে বনুৱাৰ আন্দোলনটো তেওঁলোকৰ উদ্গতিৰ কাৰণে ব্যৱহাৰ কৰি পিছত তাৰ লগ এৰিছিল। তেওঁলোকে প্ৰধান মন্ত্ৰী, ৰাষ্ট্ৰপতি আদি হৈছিল, তেওঁলোক জীৱনত কৃতকাৰ্য হৈছিল, কিন্তু যি লাখ লাখ মানুহে তেওঁলোকক ওপৰলৈ উঠাত সহায় কৰিছিল আৰু তেওঁলোকক বিশ্বাস কৰিছিল, তেওঁলোকৰ লগ এৰি তেওঁলোকক য'তে আছিল ত'তে থৈ গ'ল। এই নেতাবিলাক আনকি যিবিলাক মাৰ্ক্স-ৰ উগ্ৰ সমৰ্থক আৰু অতি উগ্ৰ 'চিণ্ডিকেলিষ্ট' আছিল, তেওঁ-লোকো পাৰ্লামেণ্টলৈ গৈছিল নাইবা বনুৱা সংঘৰ ভাল দৰমহা পোৱা প্ৰধান বিষয়া হৈছিল, আৰু দুঃসাহসিক কামত লাগি তেওঁলোকৰ সুখৰ বিষয়বাববিলাক বিপদ-গ্ৰস্ত কৰা তেওঁলোকৰ কাৰণে ক্ৰমে বেছিকৈ টান হৈছিল। সেই কাৰণে তেওঁ-লোক নিমাত হৈছিল আৰু আনকি যেতিয়া সাধাৰণ বনুৱাবিলাকে নিৰাশ অৱস্থাত পৰি বাধ্য হৈ বিপ্লৱী হৈ প্ৰতিবিধানৰ দাবী কৰিছিল, তেতিয়া তেওঁলোকে বনুৱাবিলাকক দমন কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। জাৰ্মাণীৰ 'সামাজিক গণতন্ত্ৰী' বিলাক (যুদ্ধখনৰ পিছত) গণৰাষ্ট্ৰখনৰ ৰাষ্ট্ৰপতি আৰু 'চেন্সেলাৰ' হৈছিল; ফ্ৰান্সৰ সাধাৰণ ধৰ্মঘটৰ মত প্ৰচাৰ কৰা অতি উগ্ৰ 'চিণ্ডিকেলিষ্ট' ব্ৰিয়াঁ এবাৰবাৰ প্ৰধানমন্ত্ৰী হৈছিল আৰু তেওঁৰ পুৰণি লগৰীয়াবিলাকৰ ধৰ্মঘট এটা সম্পূৰ্ণ দমন কৰিছিল; ইংলেণ্ডত ৰাম্চে মেক্ ডনাল্ড প্ৰধান মন্ত্ৰী হৈছিল আৰু তেওঁৰ নিজৰ যি বনুৱা দলে তেওঁক প্ৰধান মন্ত্ৰী পাতিছিল, সেই দলৰ তেওঁ লগ এৰিছিল। চুইডেন, ডেনমাৰ্ক, বেলজিয়াম আৰু অষ্ট্ৰীয়াতো তেনে হৈছিল। পশ্চিম য়ুৰোপ আজি এনে সৰ্বাধিনায়ক আৰু কৰ্তৃত্বশীল মানুহৰে পৰিপূৰ্ণ হৈ আছে, যিবিলাক তেওঁলোকৰ জীৱনৰ আগছোৱাত সমাজবাদী আছিল, কিন্তু বয়স বঢ়াৰ লগে লগে কোমল হৈ পৰি তেওঁলোকৰ উদ্দেশ্যৰ প্ৰতি থকা পুৰণি উদ্যমৰ কথা পাহৰিছিল আৰু কোনো কোনো সময়ত আনকি তেওঁ-লোকৰ পুৰণি কালৰ সহকৰ্মীসকলৰ বিৰুদ্ধেও উঠিছিল। ইটালীৰ 'ডিউচ' (সৰ্বাধিনায়ক) মুচলিনি পুৰণি কালৰ সমাজবাদী আছিল; পোলেণ্ডৰ সৰ্বা-ধিনায়ক পিল্চুড্স্কিও তেনে আছিল।

বনুৱা আন্দোলন আৰু স্বাধীনতাৰ কাৰণে চলোৱা প্ৰায় সকলোবিলাক জাতীয় আন্দোলন এইবিলাকৰ নেতা আৰু প্ৰধান কৰ্মীবিলাকৰ এনেবিলাক বিপৰীত আচৰণৰ কাৰণে সঘনে ক্ষতিগ্ৰস্ত হৈ আহিছে। কিছুকালৰ পাছত তেওঁলোক ক্লান্ত হয়, অকৃতকাৰ্যতাৰ কাৰণে অধীৰ হয় আৰু শ্ৰমহীনৰ উকা মুকুটে বেছি দিন তেওঁলোকৰ মন আকৰ্ষণ নকৰে। তেওঁলোক শান্ত শিষ্ট হৈ পৰে আৰু তেওঁলোকৰ জুই শেঁতা পৰে। তেওঁলোকৰ ভিতৰৰ কিছুমান বেছি উচ্চাভিলাষী আৰু দ্বিধাহীন মানুহে নিজৰ পক্ষ এৰি বিপৰীত পক্ষৰ লগ লৈ যিবিলাকৰ লগত ইমান দিন বিৰোধিতা কৰি সংগ্ৰাম চলাইছিল, তেওঁলোকৰ লগত যুদ্ধ-বিৰতিৰ ব্যক্তিগত চুক্তি কৰে। মানুহে যি উপায়কে লবলৈ ইচ্ছা কৰে, সেই উপায়ৰ লগত বিবেক মিলোৱা যথেষ্ট সহজ হয়। এনে বিপৰীত আচৰণৰ কাৰণে আন্দোলনটোৰ ক্ষতি হয় আৰু ইয়াৰ অগ্ৰগতিত অলপ বাধা পৰে ; আৰু যি-বিলাকে বনুৱাৰ বিৰুদ্ধে যুঁজে আৰু জাতিবিলাকক দমন কৰি ৰাখে, তেওঁলোকে এই কথা ভালকৈ জানে কাৰণে সকলো প্ৰকাৰৰ প্ৰলোভন দেখুৱাই আৰু সুমিষ্ট কথাৰে বিভিন্ন ব্যক্তিক তেওঁলোকৰ লগলৈ নিবলৈ চেষ্টা কৰে। কিন্তু ব্যক্তিক উচ্চপদ দিয়াৰপৰা নাইবা সুমিষ্ট কথাৰপৰা সাধাৰণ বনুৱাবিলাকক নাইবা মুক্তিৰ সংগ্ৰাম চলোৱা দমাই ৰখা জাতি এটাৰ দুখৰ একো উপশম নহয়। সেই কাৰণে কিছুমানে লগ এৰি গ'লেও আৰু অগ্ৰগতিত বাধা পৰিলেও সংগ্ৰাম নিৰ্দিষ্ট লক্ষ্য-স্থানলৈ অনিবাৰ্যভাৱে আগুৱাই গৈ থাকে।

১৮৮৯ খ্ৰীঃত স্থাপিত কৰা দ্বিতীয় আন্তৰ্জাতিক সন্মিলনখনৰ সভ্য সংখ্যা আৰু সম্ভ্ৰম বাঢ়িছিল। কেইবছৰমানৰ পিছত তেওঁলোকে মালাটেষ্টাৰ অনুচৰ অৰাজকতাবাদীবিলাকক তাৰপৰা বাহিৰ কৰি পঠিয়াইছিল, কাৰণ তেওঁলোক পাৰ্লামেণ্টলৈ ভোট দিয়াৰ সুযোগটো লবলৈ অমান্তি হৈছিল। আন্তৰ্জাতিক সন্মিলনৰ সমাজবাদীবিলাকে দেখুৱাইছিল যে তেওঁলোকে উমৈহতীয়া সংগ্ৰাম এখনত তেওঁলোকৰ পুৰণি লগৰীয়াৰ সঙ্গ লোৱাতকৈ পাৰ্লামেণ্টবিলাক বেছি ভাল বুলি ভাবিছিল। য়ুৰোপত ভৱিষ্যতে যুদ্ধ হলে সমাজবাদীবিলাকৰ কৰ্তব্যৰ তেওঁ-লোকে ডাঙৰ ডাঙৰ ঘোষণা কৰিছিল। সমাজবাদীবিলাকে তেওঁলোকৰ কামৰ সম্পৰ্কত জাতীয় সীমা নেমানিছিল। জাতীয়তাবাদী শব্দটোৰ সাধাৰণ যি অৰ্থ, সেই অৰ্থত তেওঁলোকে জাতীয়তাবাদী নাছিল। তেওঁলোকে কৈছিল যে তেওঁ-লোক যুদ্ধৰ বিৰোধী, কিন্তু ১৯১৪ খ্ৰীঃত যেতিয়া সঁচাকৈয়ে যুদ্ধ আৰম্ভ হৈছিল, তেতিয়া দ্বিতীয় আন্তৰ্জাতিক সন্মিলনৰ সমষ্ট গাঁথনিটোৱেই ভাগি-ছিগি গৈছিল আৰু প্ৰত্যেক দেশৰ সমাজবাদীবিলাক আৰু বনুৱা দলবিলাক আৰু আনকি ক্ৰপাত-কিনৰ দৰে অৰাজকতাবাদীবিলাকো আন সকলো মানুহৰ সমানে উন্মত্ত জাতীয়তা-বাদী হৈছিল আৰু বিপক্ষৰ দেশক অতিপাতকৈ খিপাইছিল। অতি কম সংখ্যাৰ মানুহে মাথোন যুদ্ধ বিৰোধিতা কৰিছিল আৰু তাৰ পৰিণামত তেওঁলোকে দীঘলীয়া কাল কাৰাবাসকে আদি কৰি নানা প্ৰকাৰৰ কষ্ট বৰ বেছিকৈ ভোগ কৰিব লাগিছিল।

যুদ্ধখন শেষ হোৱাৰ পাচত ১৯১৯ খ্ৰীঃত লেনিনে মস্কোত নতুনকৈ এখন বনুৱাৰ আন্তৰ্জাতিক সন্মিলন আৰম্ভ কৰিছিল। এইটো নিখুঁত

সাম্যবাদী সংগঠন আছিল আৰু সাম্যবাদী বুলি প্ৰতিজ্ঞাবদ্ধ হোৱা মানুহে মাথোন ইয়াত যোগ দিব পাৰিছিল। ই এতিয়াও আছে ইয়াক 'তৃতীয় আন্তৰ্জাতিক সন্মিলন'ও বোলা হয়। যুদ্ধৰ পাছত পুৰণি 'দ্বিতীয় আন্তৰ্জাতিক সন্মিলন'ৰ ভগ্নাৱশেষবিলাকো ক্ৰমে একগোট হৈছিল। তেওঁলোকৰ কম সংখ্যাৰ কিছুমানে মস্কোৰ নতুন 'তৃতীয় আন্তৰ্জাতিক সন্মিলন'ৰ লগত মিত্ৰতা কৰিছিল, কিন্তু সৰহভাগে মস্কো আৰু ইয়াৰ মতবাদক অতিপাত বেয়া পাইছিল। তেওঁ-লোকে'দ্বিতীয় আন্তৰ্জাতিক সন্মিলনখন পুৰ্ণজীৱিত কৰিছিল। এইখনো এতিয়া আছে। সেইকাৰণে বৰ্ত্তমান কালত বনুৱাৰ দুটা আন্তৰ্জাতিক সংগঠন আছে, এইবোৰ ক্ৰমে দ্বিতীয় আৰু তৃতীয় আন্তৰ্জাতিক সন্মিলন নামে জনাজাত। বিশেষকৈ আচৰিত কথা এই যে দুয়োখনেই মাৰ্ক্সবাদৰ উগ্ৰ সমৰ্থক, কিন্তু প্ৰত্যেকখনৰ নিজৰ নিজৰ ব্যাখ্যা আছে আৰু তেওঁলোকে তেওঁলোকৰ উমৈহতীয়া শত্ৰু পুঁজিবাদক যিমান ঘিণ কৰে, তাতোকৈ বেছিকৈ ইখনে সিখনক ঘিণ কৰে।

পৃথিৱীৰ সকলোবিলাক বনুৱা-সংঘ আৰু বনুৱাৰ সংগঠন এই আন্তৰ্জাতিক সন্মিলন দুখনৰ অন্তৰ্ভুক্ত নহয়। বহুতবিলাক কোনো এখনৰে অঙ্গ নহয়। আমেৰিকাৰ বনুৱা-সংঘবিলাক আছুতীয়া হৈ আছে, কাৰণ সেইবিলাকৰ সৰহ ভাগেই ৰক্ষণশীল। ভাৰতৰ বনুৱা সংঘবিলাকো কোনো এখন আন্তৰ্জাতিক সন্মিলনৰে অঙ্গ নহয়।

সম্ভৱতঃ তুমি 'ইণ্টাৰ নেছনেল' (আন্তৰ্জাতিক) নামৰ গানটো জানা। পৃথি-ৱীৰ সকলো ভাগতে এইটোৱেই বনুৱা আৰু সমাজবাদীবিলাকৰ নিজস্ব গান।

১৩৪

মাৰ্ক্সবাদ

১৬ ফেব্ৰুৱাৰী, ১৯৩৩

মোৰ আগৰখন চিঠিত মই তোমাক মাৰ্ক্সৰ যি মতবিলাকে য়ুৰোপীয় সমাজবাদীৰ পৃথিৱীখনত বৰ বেছিকৈ উত্তেজনাৰ সৃষ্টি কৰিছিল, সেইবিলাকৰ বিষয়ে অলপমান কবলৈ ইচ্ছা কৰিছিলোঁ। কিন্তু সেই চিঠিখন যথেষ্ট দীঘল হ'ল, সেই কাৰণে এই বিষয়টো মই পিছলৈ থব লগা হৈছিল। এই বিষয়ে লেখা মোৰ কাৰণে সহজ কথা নহয়, কাৰণ এই বিষয়ত বিশেষজ্ঞ নহওঁ আৰু এনে হয় যে আনকি বিশেষজ্ঞ আৰু পণ্ডিতসকলৰো মতানৈক্য হয়। মাৰ্ক্সবাদৰ প্ৰধান লক্ষণবিলাকৰ বিষয়ে মাথোন মই তোমাক কম আৰু ইয়াৰ জটিল তত্ত্ব-বিলাক বাদ দিম। ইয়াৰপৰা তুমি বৰং অসম্পূৰ্ণ ধাৰণা এটা পাবা, কিন্তু আচলতে এই চিঠিবিলাকত কোনো বিষয়ৰে সম্পূৰ্ণ আৰু বিশদ ধাৰণা দিয়া মোৰ উদ্দেশ্য নহয়।

তোমাক আগতে কৈছোঁ যে সমাজবাদ বহুতো প্ৰকাৰৰ আছে। পিছে সকলোবিলাকৰে সাধাৰণভাৱে একমত যে ইয়াৰ উদ্দেশ্য হৈছে উৎপাদনৰ উপায়-বিলাকত অৰ্থাৎ মাটি, খনি, কাৰখানা আদিত আৰু ৰেলপথ আদি বিতৰণৰ উপায়-বিলাকত আৰু বেঙ্ক আৰু তাৰ নিচিনা অনুষ্ঠানবিলাকত ৰাষ্ট্ৰৰ আধিপত্য স্থাপন কৰা। ভাবটো এই যে ব্যক্তিক তেওঁলোকৰ ব্যক্তিগত সুবোগৰ কাৰণে এই পদ্ধতি বা অনুষ্ঠানবিলাক নাইবা আনৰ শ্ৰম ব্যৱহাৰ কৰিবলৈ দিয়া উচিত নহয়। বৰ্ত্তমান কালত এইবিলাকৰ অতি সৰহ ভাগৰ মালিক ব্যক্তি আৰু তেওঁলোকে নিজৰ স্বাৰ্থ পূৰণৰ অৰ্থে এইবিলাক ব্যৱহাৰ কৰে, তাৰ ফলত কিছুমান মানুহ সমৃদ্ধিশালী আৰু ধনী হয়, কিন্তু সমগ্ৰ সমাজখনেই বৰকৈ কষ্ট ভোগ কৰে আৰু জনসাধাৰণ দুখীয়া হৈ থাকে। তদুপৰি উৎপাদনৰ এই উপায়বিলাকৰ মালিক আৰু কৰ্ত্তৃপক্ষৰো বহুত পৰিমাণৰ বল শক্তি নিষ্ঠুৰ প্ৰতিযোগিতাৰ পৰস্পৰ সংগ্ৰামত ব্যয় হয়। যদি এই ব্যক্তিগত যুদ্ধৰ সলনি উৎপাদনৰ যুক্তিযুক্ত ব্যৱস্থা আৰু বিতৰণৰ সুচিন্তিত পদ্ধতি থাকিলহেঁতেন, তেনেহলে অপচয় আৰু অনাৱশ্যক প্ৰতিযোগিতাৰ হাত সাৰিবপৰা হলহেঁতেন আৰু বিভিন্ন শ্ৰেণীৰ আৰু বিভিন্ন জাতিৰ মাজত বৰ্ত্তমানে থকা সম্পত্তিৰ বিৰাট অসমতা নাইকীয়া হ'লহেঁতেন।

সেই কাৰণে উৎপাদন, বিতৰণ আৰু আন প্ৰধান কাৰ্যকলাপবিলাক যাইকৈ সমাজ বা ৰাষ্ট্ৰৰ কৰ্তৃত্বাধীন কৰা উচিত অৰ্থাৎ জাতি এটাৰ মুঠ সমষ্টিটোৰ কৰ্তৃত্বাধীন হোৱা উচিত।

সমাজবাদৰ অধীনত ৰাষ্ট্ৰ বা শাসন ব্যৱস্থা কেনে হোৱা উচিত সেইটো এটা বেলেগ প্ৰশ্ন, যদিও ই এটা অতি প্ৰধান কথা তথাপি সম্প্ৰতি আমি সেই প্ৰশ্নটোলৈ যোৱাৰ আৱশ্যক নাই।

সমাজবাদৰ আদৰ্শৰ বিষয়ে একমত হোৱাৰ পিছত সিদ্ধান্ত কৰিবলগীয়া তাৰ পিছৰ কথাটো হৈছে কেনেকৈ তাক লাভ কৰিব পৰা যায়। এই বিষয়ত সমাজবাদীসকলে ইজনে সিজনৰ লগ এৰে আৰু বিভিন্ন পথ দেখুৱা বহুতো সমষ্টি আছে। থূলমূলকৈ সেইবিলাকক দুটা শ্ৰেণীত ভগাব পাৰি : (১) ধীৰ পৰিবৰ্ত্তন, ক্ৰমবিকাশমনা সমষ্টিবিলাক, এইবিলাকে ক্ৰমে ক্ৰমে আগুৱাই যোৱাত আৰু বৃটিছ বনুৱা দল আৰু ফেবিয়ানবিলাকৰ দৰে সংসদৰ যোগে কাম কৰাত বিশ্বাস কৰে ; আৰু (২) বিপ্লৱী সমষ্টিবিলাক, এইবিলাকে সংসদৰ যোগে ফল লাভ কৰাত বিশ্বাস নকৰে। পিছৰ ভাগৰ এই সমষ্টিবিলাকৰ অতি সৰহভাগেই মাৰ্ক্সবাদী।

আগৰ ভাগৰ ক্ৰমবিকাশ মনা সমষ্টিবিলাকৰ সংখ্যা এতিয়া বৰ কম আৰু আনকি ইংলেণ্ডৰ তেনে সমষ্টিবিলাকো ক্ৰমে দুৰ্বল হৈ গৈছে আৰু উদাৰনৈতিক আৰু আন সমাজবাদ নমনা সমষ্টিবিলাকৰপৰা এই সমষ্টিবিলাকক পৃথক কৰা সীমাৰেখা ডাল ক্ৰমে বেছি অস্পষ্ট হৈ গৈ আছে। সেই কাৰণে মাৰ্ক্সবাদে এতিয়া সাধাৰণ সমাজবাদী মত বুলি বিবেচনা কৰিব পাৰি। কিন্তু য়ুৰোপত মাৰ্ক্সবাদীবিলাকৰ ভিতৰতে এতিয়া দুটা প্ৰধান বিভাগ আছে। এফালে ৰুচ সাম্যবাদীবিলাক আৰু আনফালে জাৰ্মাণী, অষ্ট্ৰিয়া আৰু আন আন দেশৰ প্ৰাচীন সামাজিক গণতন্ত্ৰবিলাক আৰু দুয়োটা বিভাগৰ মাজত প্ৰীতিৰ ভাব নাই। বিশ্ব যুদ্ধখন চলি থকা কালত আৰু তাৰ পাছত এই সামাজিক গণতন্ত্ৰীবিলাকে নিজৰ ঘোষিত মত মতে চলিবলৈ অপাৰগ হোৱাৰ কাৰণে তেওঁলোকৰ প্ৰাচীন সম্ভ্ৰম বহুতো পৰিমাণে হেৰুৱাইছিল। তেওঁলোকৰ ভিতৰৰ বহুতো উৎসাহী লোক সাম্যবাদত ভুক্ত হৈছে, কিন্তু পশ্চিম য়ুৰোপৰ বনুৱা সংঘবিলাক চলোৱাত এতিয়াও তেওঁলোকৰ আধিপত্য আছে। সাম্যবাদে ৰুচিয়াত কৃতকাৰ্যতা লাভ কৰাৰ কাৰণে ই ক্ৰমবৰ্দ্ধমান মত হৈ আছে। আজিকালি য়ুৰোপত আৰু পৃথিৱীৰ সকলো ভাগত ই পুঁজিবাদৰ প্ৰধান শত্ৰু।

তেনেহলে এই মাৰ্ক্সবাদনো কি ? ই বুৰঞ্জী, ৰাজনীতি, মানৱজীৱন আৰু মানুহৰ বাঞ্ছা ব্যাখ্যা কৰাৰ এটা পদ্ধতি। ই এটা তথ্য আৰু লগে লগে ই কামলৈ এটা আহ্বান। ই এনে এটা দৰ্শন, য'ত মানুহৰ জীৱনৰ অতি সৰহভাগ কাৰ্যকলাপৰ বিষয়ে কিবা একোটা বক্তব্য আছে। ইয়াত মানৱ জাতিৰ বুৰঞ্জীক ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতক দৃঢ় যুক্তিযুক্ত পদ্ধতি এটাৰ ভিতৰলৈ আনি এই পদ্ধতিত থকা ভাগ্য বা 'কিচমট' ৰ অবশ্যম্ভাবিতাৰ বিষয়ে আভাস দিবলৈ চেষ্টা কৰা হৈছে। পিছে মানুহৰ জীৱনটো ইমান যোৰ্ছিকৈ যুক্তিযুক্ত হয়নে আৰু ই ইমানকৈ অলৰ-অচৰ নিয়ম আৰু পদ্ধতি মানি চলেনে—এই কথাটো অতি সহজবোধ্য যেন নেলাগে, আৰু বহুত মানুহে এই কথাত সন্দেহ কৰে। কিন্তু

মাৰ্ক্সে বৈজ্ঞানিকৰ দৰে অতীত বুৰঞ্জী পৰ্যালোচনা কৰি তাৰপৰা সিদ্ধান্ত কৰিছিল অতি প্ৰাচীন কালৰপৰা মানুহে জীৱিকাৰ কাৰণে সংগ্ৰাম চলোৱাৰ কথা তেওঁ বুজিছিল, এই সংগ্ৰামটো প্ৰকৃতিৰ বিৰুদ্ধে আৰু সমগোত্ৰী মানুহৰ বিৰুদ্ধেও আছিল। মানুহে আহাৰ আৰু জীৱনৰ আন লাগতীয়াল বস্তুৰ কাৰণে কাম কৰিছিল আৰু সময় অতিবাহিত হোৱাৰ লগে লগে তেওঁলোকৰ কৰ্মপদ্ধতি ক্ৰমে ক্ৰমে পৰিৱৰ্তিত হৈ বেছি জটিল আৰু উন্নত হৈছিল। মাৰ্ক্সৰ মতে জীৱিকা নিৰ্বাহৰ উপায় উৎপাদন কৰাৰ এই পদ্ধতিবিলাকেই সকলো যুগতেই মানুহৰ জীৱনত আৰু সমাজৰ জীৱনত আটাইতকৈ প্ৰধান কথা আছিল। বুৰঞ্জীৰ প্ৰত্যেক যুগতে সেইবিলাকৰ আধিপত্য হৈছিল আৰু সেইবিলাকে প্ৰত্যেক যুগৰ সকলোবিলাক কাৰ্যকলাপ আৰু সামাজিক সম্পৰ্ক প্ৰভাৱিত কৰিছিল আৰু যেতিয়াই সেইবিলাকৰ পৰিৱৰ্তন হৈছিল, তেতিয়াই লগে লগে গুৰুতৰ ঐতিহাসিক আৰু সামাজিক পৰিৱৰ্তন হৈছিল। এই চিঠিবিলাকত আমি এনেবিলাক পৰিৱৰ্তনৰ পৰিণামৰ ক্ৰমিক বৰ্ণনা কিছু পৰিমাণে পাইছোঁ। উদাহৰণ স্বৰূপে, যেতিয়া কৃষিকাৰ্য প্ৰথমতে আৰম্ভ কৰা হৈছিল, তেতিয়া ই বিৰাট পৰিৱৰ্তন ঘটাইছিল। ভ্ৰমি ফুৰি থকা যাযাবৰী মানুহবিলাকে বসতি স্থাপন কৰিছিল। গাওঁ আৰু চহৰ কৰিছিল, কৃষিকাৰ্যৰপৰা বেছিকৈ উৎপাদন হোৱাত অতিৰিক্ত এটা ভাগ বাহি হৈছিল, লোকসংখ্যা বাঢ়িছিল, সম্পত্তি আৰু আজৰি বাঢ়িছিল আৰু এই দুটাৰপৰা কলা আৰু হস্তশিল্পৰ উদ্ভৱ হৈছিল। শিল্প-বিপ্লৱ আন এটা প্ৰত্যক্ষ উদাহৰণ। যেতিয়া উৎপাদনৰ কাৰণে বৃহৎযন্ত্ৰ চলোৱা হৈছিল, তেতিয়া ইয়াৰপৰা আন এটা ভয়ানক প্ৰভেদৰ সৃষ্টি হৈছিল। এইদৰে আন বহুতো উদাহৰণ আছে।

বুৰঞ্জীৰ একোটা যুগত উৎপাদনৰ পদ্ধতিবিলাক মানুহৰ উন্নয়নৰ নিৰ্দ্ধাৰিত স্তৰৰ লগত মিলে। উৎপাদনৰ এই কাম চলি থকা অৱস্থাত আৰু ইয়াৰ ফলত মানুহবিলাকে পৰস্পৰৰ লগত কিছুমান নিৰ্দ্ধাৰিত সম্পৰ্ক সাধন কৰে (যেনে, বিনিময়, ক্ৰয়, বিক্ৰয়, নগদ ধনৰ সলনি হিচাপৰ কাগজেৰে কিনা-বেচাৰ হিচাপ-নিকাচ কৰা ইত্যাদি), এই সম্পৰ্কবিলাক তেওঁলোকৰ উৎপাদনৰ পদ্ধতিৰদ্বাৰা স্থিৰ হয় আৰু তেনেবিলাক পদ্ধতিৰ লগত মিলে। এই সম্পৰ্কবিলাকৰ সমষ্টিটোৰ দ্বাৰাই সমাজৰ অৰ্থনৈতিক গাথনিটো প্ৰস্তুত হয়। আৰু এই অৰ্থনৈতিক ভেটিৰ ওপৰতে আইন, ৰাজনীতি, সামাজিক ৰীতি, সামাজিক ভাব আৰু আন সকলো-বিলাক সংস্থাপিত হয়। সেই কাৰণে মাৰ্ক্সৰ এই মত মতে যেতিয়া উৎপাদনৰ পদ্ধতি পৰিৱৰ্তিত হয়, তেতিয়া অৰ্থনৈতিক গাঁথনিৰো পৰিৱৰ্তন হয়, আৰু তাৰ লগে লগে মানুহৰ ভাবগতি, আইন, ৰাজনীতি আদিৰো পৰিৱৰ্তন হয়।

মাৰ্ক্সে বুৰঞ্জীকো বিভিন্ন শ্ৰেণীৰ সংগ্ৰামৰ বৃত্তান্ত বুলি বিবেচনা কৰিছিল। তেওঁ কৈছে, "অতীত আৰু বৰ্তমানৰ সমস্ত মানৱ সমাজৰ বুৰঞ্জী শ্ৰেণী সংগ্ৰামৰ বুৰঞ্জী হৈ আহিছে।" যিটো শ্ৰেণীৰ উৎপাদনৰ উপায়বিলাকৰ ওপৰত প্ৰভুত্ব হয়, সেই শ্ৰেণীয়েই আধিপত্য চলায়। ই আনবিলাক শ্ৰেণীৰ শ্ৰম নিজৰ স্বাৰ্থৰ অৰ্থে ব্যৱহাৰ কৰি তাৰপৰা লাভ কৰে। যিবিলাকে শ্ৰম কৰে তেওঁলোকে শ্ৰমৰ সম্পূৰ্ণ মূল্য নেপায়। তেওঁলোকে অতি অলপ পৰিমাণৰ প্ৰয়োজনীয় বস্তুৰ

কাৰণে মাথোন এটা ভাগ পায়, অৱশিষ্ট অতিৰিক্তখিনি শোষণকাৰী শ্ৰেণীটোৰ হয়। এইদৰে এই অতিৰিক্ত মূল্যৰপৰা শোষণকাৰী শ্ৰেণীটো বেছি সম্পত্তিশালী হয়। উৎপাদনত আধিপত্য কৰা এই শ্ৰেণীটোৱে ৰাষ্ট্ৰ আৰু শাসন ব্যৱস্থাতো আধিপত্য কৰে আৰু এইদৰে এই শ্ৰেণীটোক নিৰাপদে ৰখাই ৰাষ্ট্ৰৰ প্ৰথম উদ্দেশ্য হয়। মাৰ্ক্সে কৈছে, "ৰাষ্ট্ৰ শাসনৰ শক্তিটো সমষ্ট শাসক শ্ৰেণীটোৰ বিষয়বিলাক চলোৱা কাৰ্যকৰী সমিতি।" এই উদ্দেশ্যৰে আইনবিলাক কৰা হয় আৰু শিক্ষা, ধৰ্ম আৰু আন আন প্ৰণালীৰে সাধাৰণ মানুহবিলাকৰ মনত বিশ্বাস জন্মোৱা হয় যে এই শ্ৰেণীটোৰ আধিপত্য ন্যায়সঙ্গত আৰু স্বাভাৱিক। এইবিলাক প্ৰণালীৰে শাসন ব্যৱস্থাৰ আৰু আইনবিলাকৰ শ্ৰেণীগত ৰূপটো ঢাকি ৰাখিবলৈ সকলোপ্ৰকাৰে চেষ্টা কৰা হয়, যাতে আন যিবিলাক শ্ৰেণীক শোষণ কৰা হৈ থাকে, সেইবিলাকে আচল অৱস্থাটো বুজি পাই তেওঁলোক অসন্তুষ্ট নহয়। যদি কোনো মানুহে অসন্তুষ্ট হৈ এই পদ্ধতিটোৰ বিৰোধিতা কৰে, তেনেহলে তেওঁক সমাজ আৰু নৈতিকতাৰ বিৰোধী আৰু প্ৰাচীনকালৰপৰা প্ৰচলিত ৰীতিৰ কলুষকাৰী বুলি কোৱা হয় আৰু শাসন চলোৱা শক্তিয়ে তেওঁক সম্পূৰ্ণ দমন কৰে।

কিন্তু সকলো চেষ্টাৰ স্বত্বেও এটা শ্ৰেণীয়ে চিৰস্থায়ীভাৱে আধিপত্য চলাই থাকিব নোৱাৰে। যিবিলাকে ইয়াক আধিপত্য চলোৱাৰ কাৰণে ক্ষমতা দিছিল সেইবিলাকেই পিছত ইয়াৰ বিৰুদ্ধে কাম কৰে। সেই কালৰ উৎপাদনৰ প্ৰচলিত উপায়বিলাকত ই আধিপত্য চলাইছিল কাৰণেহে ই শাসন চলোৱা আৰু শোষণ কৰা শ্ৰেণী হৈছিল। এতিয়া উৎপাদনৰ নতুন নতুন পদ্ধতিৰ উদ্ভাৱন হোৱাৰ লগে লগে যিবিলাক নতুন শ্ৰেণীয়ে সেইবিলাকত আধিপত্য চলায় তেওঁলোকৰ প্ৰাধান্য হৈছে আৰু তেওঁলোকক শোষণ কৰিবলৈ দিবলৈ তেওঁলোক অমান্তি হৈছে। নতুনভাৱে মানুহক উত্তেজিত কৰে ; যাক ভাৱধাৰাৰ বিপ্লৱ বুলিব পাৰি তেনে হৈছে আৰু এই বিপ্লৱে পুৰণি ভাৱবিলাকৰ আৰু প্ৰচলিত মতবিলাকৰ বন্ধন চিঙিছে। তদুপৰি পুৰণি যি শ্ৰেণীটোৱে ক্ষমতাক বজ্ৰমুঠিৰে খামুচি ধৰি আছে, তাৰ লগত এই উঠি অহা শ্ৰেণীটোৰ সংগ্ৰাম হৈছে। নতুন শ্ৰেণীটোৰ অনিবাৰ্যভাৱে জয় হৈছে, কাৰণ এতিয়া অৰ্থনৈতিক শক্তিৰ ওপৰত ইয়াৰ আধিপত্য হৈছে আৰু পুৰণি শ্ৰেণীটোৱে বুৰঞ্জীত তাৰ ভূমিকাৰ অভিনয় শেষ কৰি ই ক্ৰমে ক্ৰমে লোপ পাইছে।

ৰাজনৈতিক আৰু অৰ্থনৈতিক এই দুয়ো বিষয়তে এই নতুন শ্ৰেণীটোৰ জয় হৈছে। উৎপাদনৰ নতুন পদ্ধতিবিলাকৰ বিজয়ৰ এই প্ৰতীক হৈছে। ইয়াৰ পৰা সমাজৰ সমগ্ৰ গাঁথনিটোত পৰিৱৰ্তন ঘটিছে—নতুন ভাৱ, নতুন ৰাজনৈতিক সংগঠন হৈছে, আইন, ৰীতি আদি সকলোতে ইয়াৰ প্ৰভাৱ পৰিছে। এই নতুন শ্ৰেণীটো এতিয়া ইয়াৰ তলৰ শ্ৰেণীবিলাকক শোষণ কৰা শ্ৰেণী হৈছে, যেতিয়ালৈকে তলৰ কোনোবা শ্ৰেণীয়ে ইয়াক নাতবায়, তেতিয়ালৈ ই এনে হৈ থাকিব। এইদৰে সংগ্ৰামটো চলি থাকে আৰু যেতিয়া এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক শোষণ কৰিব নোৱাৰা হব আৰু মুঠেই এটা শ্ৰেণী থাকিব, তেতিয়াহে সংগ্ৰামৰ অন্ত পৰিব , কাৰণ তেতিয়া শোষণৰ আৰু সুযোগ নেথাকিব। এই একেটা শ্ৰেণীয়ে নিজকে শোষণ কৰিব নোৱাৰে। তেতিয়াহে বৰ্তমান কালত

অবিৰতভাৱে চলা সংগ্ৰাম আৰু প্ৰতিযোগিতাৰ সলনি সমাজত ভাবনাৰ্য্য আৰু পূৰ্ণ সহযোগ হব। তেতিয়া শাসন চলোৱা শক্তিৰ প্ৰধান কাম বল প্ৰয়োগৰ আৱশ্যকতা নোহোৱা হ'ব, কাৰণ বল প্ৰয়োগ কৰি সৈমান কৰিবলৈ কোনো শ্ৰেণী নেথাকিব আৰু সেইকাৰণে শাসন চলোৱা শক্তিটো ক্ৰমে 'খীনাই খীনাই লোপ পাব' আৰু অৰাজকতাবাদৰ আদৰ্শটোৰ ওচৰ চপা হব।

এইদৰে মাৰ্ক্সে বুৰঞ্জীক অৱশ্যম্ভাৱী শ্ৰেণী সংগ্ৰামৰদ্বাৰা চলোৱা ক্ৰমবিকাশৰ এটা ধমক-জমক প্ৰণালী বুলি বিবেচনা কৰিছিল। বহুত বিশদ বিৱৰণ আৰু দৃষ্টান্তৰে তেওঁ দেখুৱাইছিল কেনেকৈ অতীতত এই প্ৰণালী চলিছিল, বৃহৎ যন্ত্ৰৰ প্ৰচলনৰ লগে লগে সামন্ত যুগটো পুঁজিবাদী যুগলৈ পৰিৱৰ্তিত হৈছিল আৰু কেনেকৈ সামন্ত যুগৰ শ্ৰেণীবিলাকে 'বুৰ্জোৱা' বা মধ্যবিত্তৰ শ্ৰেণীটোক ঠাই এৰি দিছিল। তেওঁৰ মতে শেষ সংগ্ৰামখন আমাৰ দিনত 'বুৰ্জোৱা' বা মধ্যবিত্তৰ শ্ৰেণীটো আৰু বণুৱা শ্ৰেণীৰ মাজতহে আছে। পুঁজিবাদেই এই শ্ৰেণীটোৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ সংখ্যা আৰু বল বঢ়াইছিল, ই অৱশেষত পুঁজিবাদক বিনাশ কৰি শ্ৰেণীহীন সমাজ আৰু সমাজবাদ প্ৰতিষ্ঠা কৰিব।

বুৰঞ্জীক এইদৰে বিবেচনা কৰাৰ যি মতটো মাৰ্ক্সে ব্যাখ্যা কৰিছিল, তাক 'বুৰঞ্জীৰ বস্তুবাদী ধাৰণা' বোলা হৈছিল। ইয়াক 'বস্তুবাদী' বোলা হৈছিল। কাৰণ, ই আদৰ্শবাদী নাছিল, মাৰ্ক্সৰ দিনৰ দাৰ্শনিকসকলে বিশেষ এটা অৰ্থত এই 'আদৰ্শবাদী' শব্দটো ব্যৱহাৰ কৰিছিল। সেই কালত ক্ৰমবিকাশৰ ভাবটো জনপ্ৰিয় হৈছিল। তোমাক আগতে কৈছোঁ যে জীৱৰ শ্ৰেণীবিলাকৰ উৎপত্তি আৰু উন্নয়নৰ সম্পৰ্কত ডাৰুইনে এই ভাবটো প্ৰতিষ্ঠিত কৰিছিল। কিন্তু এই ভাবত মানুহৰ সামাজিক সম্পৰ্কবিলাকৰ বিষয়ে একো ব্যাখ্যা নাছিল। কিছুমান দাৰ্শনিকে মনৰ প্ৰগতি বিষয়ৰ অস্পষ্ট আদৰ্শবাদী ভাৱৰদ্বাৰা মানৱ জাতিৰ প্ৰগতি ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। মাৰ্ক্সে কৈছিল যে, এইটো ভুল প্ৰচেষ্টা আছিল। তেওঁৰ মতে অবাস্তৱতা আৰু আদৰ্শবাদৰ অস্পষ্ট কাল্পনিক চিন্তাবিলাক বিপদজনক, কাৰণ সেইবিলাকৰে মানুহে নানা প্ৰকাৰৰ এনে কল্পনা কৰিব পাৰে যিবিলাকৰ প্ৰকৃত বাস্তৱ ভিত্তি নাই। সেই কাৰণে তেওঁ বৈজ্ঞানিক পদ্ধতিৰে সকলো কথা পৰীক্ষা কৰি লৈ কামত আগুৱাইছিল। সেইকাৰণে 'বস্তুবাদী' শব্দটো ব্যৱহাৰ কৰা হৈছিল।

মাৰ্ক্সে অবিৰতভাৱে শোষণ আৰু শ্ৰেণী সংগ্ৰামৰ কথা কয়। আমাৰ চাৰিওকালে যিবিলাক অন্যায় আমি দেখা পাওঁ তাৰ বাবে আমাৰ বহুতৰ খং উঠে আৰু আমি উত্তেজিত হওঁ। কিন্তু মাৰ্ক্সৰ মতে বিষয়টো খং বা ভাল আৰু সৎ-উপদেশৰ বিষয় নহয়। যিজন মানুহে শোষণ কৰে শোষণটো তেওঁৰ দোষ নহয়। এটা শ্ৰেণীৰ ওপৰত আন এটা শ্ৰেণীৰ আধিপত্যটো ঐতিহাসিক প্ৰগতিৰ ফল, আৰু এই আধিপত্যই সময়ত আন এটা ব্যৱস্থাক ঠাই এৰি দিয়ে। কোনো এজন মানুহ যদি আধিপত্য চলোৱা শ্ৰেণীটোৰ অন্তৰ্ভুক্ত আছিল আৰু এনে হোৱাৰ কাৰণে তেওঁ আনক শোষণ কৰিছিল, তেনেহলে তেওঁৰ কাৰণে সেইটো ডাঙৰ পাপ নাছিল। তেওঁ এটা পদ্ধতিৰ অংশ আছিল আৰু তেওঁক নিৰ্দয়ভাৱে গালি পৰা অসংগত আছিল। ব্যক্তি আৰু পদ্ধতিৰ মাজত থকা এই প্ৰভেদটোৰ কথা

আমি বৰ বেছিকৈ পাহৰিব খোজো। ভাৰতবৰ্ষ বৃটিছ সাম্ৰাজ্যবাদৰ অধীনত আছে আৰু আমি আমাৰ সকলো শক্তিৰে ইয়াৰ বিৰুদ্ধে যুঁজিছো। কিন্তু যিবিলাক ইংৰাজে ঘটনাক্ৰমে এই পদ্ধতিটো সমৰ্থন কৰিছে, তেওঁলোকৰ দোষ নাই। তেওঁলোক অতি বৃহৎ যন্ত্ৰ এটাৰ চকৰিৰ ক্ষুদ্ৰ দাঁত মাথোন, এই যন্ত্ৰটোৰ গতিৰ সাল-সলনি কৰিবলৈ তেওঁলোক অপাৰগ। সেইদৰে আমি কিছুমানে বিবেচনা কৰোঁ যে জমিদাৰী প্ৰথাটো বৰ্তমান কালত অচল আৰু ৰায়তক ভীষণভাৱে শোষণ কৰা এই প্ৰথাটো তেওঁলোকৰ কাৰণে অত্যন্ত অনিষ্টকৰ। কিন্তু ইয়াৰো অৰ্থ এয়ে নহয় যে, ব্যক্তিগত জমিদাৰ ইয়াৰ কাৰণে দোষী, সেইদৰে পুঁজিবাদীবিলাকৰ ওপৰতো শোষণকাৰী বুলি দোষাৰোপ কৰা হয়। এনে সকলোবোৰ অৱস্থাত দোষটো থাকে পদ্ধতিটোৰ গাত, ব্যক্তিৰ গাত নহয়।

মাৰ্ক্সে শ্ৰেণী সংঘৰ্ষ প্ৰচাৰ নকৰিছিল। তেওঁ দেখুৱাইছিল যে ই বাস্তৱ অৱস্থাত আছিল আৰু আগেয়েও কিবা এটা ৰূপত সদায় আছিল। তেওঁৰ 'মূলধন' লিখাৰ উদ্দেশ্য আছিল 'আধুনিক সমাজৰ অৰ্থনৈতিক বিধানটো ভালকৈ প্ৰকাশ কৰি দেখুৱা' আৰু এনেকৈ ঢাকনি গুচাই দেখুৱাব পৰা সমাজত বিভিন্ন শ্ৰেণীৰ মাজত চলি থকা এই দুৰ্বোধ সংঘৰ্ষবিলাক প্ৰকাশিত হৈছিল। এই সংঘৰ্ষবিলাক শ্ৰেণী সংঘৰ্ষস্বৰূপে সদায় সহজতে বুজিব পৰা নহয়, কাৰণ আধিপত্য চলোৱা শ্ৰেণীটোৱে সদায় ইয়াৰ শ্ৰেণীৰ ৰূপটো ঢাকি ৰাখিবলৈ চেষ্টা কৰে। কিন্তু যেতিয়া প্ৰচলিত ব্যৱস্থাটো বিপদৰ সন্মুখীন হয়, তেতিয়া ই ইয়াৰ সকলোবিলাক ভাও ধৰা ৰূপ দলিয়াই পেলায়, তেতিয়া ইয়াৰ স্বৰূপ প্ৰকাশিত হয় আৰু শ্ৰেণীবিলাকৰ মাজত প্ৰকাশ্য সংগ্ৰাম হয়। যেতিয়া এনে হয় তেতিয়া গণতন্ত্ৰৰ গাঁথনিবিলাক আৰু সাধাৰণ আইন-কানুন অদৃশ্য হয়। কিছুমান মানুহে কোৱাৰ দৰে এই শ্ৰেণী সংগ্ৰামবিলাক ভুল বুজাবুজি হোৱাৰ লগে লগে এইবিলাক প্ৰকৃতপক্ষে বাঢ়েহে।

মাৰ্ক্সৰ এই তথ্যটোক ভাৰতবৰ্ষৰ প্ৰচলিত অৱস্থাৰ লগত মিলাই চোৱা যাওঁক। বৃটিছ চৰকাৰে বহুকাল দাবী কৰি আহিছে যে ইয়াৰ শাসন ন্যায়-নীতিত আৰু ভাৰতবৰ্ষৰ মানুহৰ উপকাৰৰ অৰ্থে প্ৰতিষ্ঠিত হৈছিল, আৰু নিঃসন্দেহে অতীতত আমাৰ দেশবাসী বহুতে বিশ্বাস কৰিছিল যে এই দাবীত অলপমান সত্য আছিল। কিন্তু এতিয়া জনসাধাৰণৰ এটা ডাঙৰ আন্দোলনে এই শাসনৰ বিৰুদ্ধে সুদৃঢ়ভাৱে যুদ্ধ চলোৱাত ইয়াৰ সকলোবিলাক বিশৃঙ্খলা আৰু কুৰূপতাৰে ইয়াৰ স্বৰূপটো প্ৰকাশিত হৈছে আৰু চাঙিনৰ ওপৰত নিৰ্ভৰ কৰি চলোৱা এই সাম্ৰাজ্যবাদী শোষণৰ বাস্তৱ ৰূপটো যেয়ে সেয়ে দেখা পোৱা হৈছে। ৰং সনা পদ্ধতি আৰু সুমধুৰ কথাৰ সকলোবিলাক ঢাকনি আঁতৰ হৈছে। বিশেষ জৰুৰী আইন, মানুহৰ কথা কোৱাৰ আৰু সভা পতাৰ আৰু ছাপাখানা চলোৱাৰ অতি সাধাৰণ অধিকাৰ দমন দেশখনৰ সাধাৰণ আইন আৰু শাসন পদ্ধতি হৈছে। প্ৰচলিত কৰ্তৃপক্ষৰ বিৰুদ্ধে যুঁজ যিমান বেছি তীব্ৰ হব, এনেবিলাক ঘটনা সিমান বেছিকৈ হব। যেতিয়া এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীক আতঙ্কিত কৰে, তেতিয়াও এনে নহয়। আমাৰ দেশত বৰ্তমান কালত কৃষক আৰু বনুৱাবিলাকক আৰু তেওঁলোকৰ হকে কাম কৰা লোকসকলক দিয়া পাশৱিক শাস্তিবিলাকত আমি এনে ঘটা দেখিবলৈ পাই আছোঁ।

এইদৰে মাৰ্ক্সৰ বুৰঞ্জী বিষয়ৰ তত্ত্বটো অবিৰততাৰে পৰিৱৰ্তিত হৈ থকা আৰু উন্নতি কৰি থকা সমাজ এখনৰ তত্ত্ব। ইয়াত স্থিৰতাৰ কথা নাছিল। ই গতিশীল আৰু শক্তিশালী ভাব আছিল। আৰু সকলো অৱস্থাতে ই অনুশ্য ভাবীৰূপে আগুৱাই গৈছিল, এক প্ৰকাৰৰ সমাজ ব্যৱস্থাৰ ঠাইত আন এক প্ৰকাৰৰ সমাজ-ব্যৱস্থা হৈছিল। কিন্তু এবিধ সমাজ-ব্যৱস্থাই তাৰ ক্ৰমবিকাশক শেষ কৰাৰ পাচত যেতিয়া তাৰ সংবৰ্দ্ধন সম্পূৰ্ণ হৈছিল, তেতিয়াহে সি অদৃশ্য হৈছিল। যেতিয়া সমাজ সেই ব্যৱস্থাতকৈ বেছি সংবৰ্দ্ধিত হৈছিল, তেতিয়া পুৰণি ব্যৱস্থাৰ যি সাজ-পাৰ গাত নোখোৱা হৈ সেইবিলাকে ইয়াৰ গতিৰোধ কৰিছিল, সেইবিলাক ই কাঢ়ি পেলাই নতুন আৰু বেছি ডাঙৰ সাজ-পাৰ কৰিছিল।

মাৰ্ক্সৰ মতে উন্নয়নৰ এই বকৰ-অৰবক ঐতিহাসিক পদ্ধতিটোত সহায় কৰাই মানুহৰ নিয়তি আছিল। আগৰ কালৰ সকলোবিলাক স্তৰ আগতে অতিক্ৰম কৰা হৈছিল। এতিয়া পুঁজিবাদী মধ্যবিত্তৰ সমাজ আৰু বনুৱা শ্ৰেণীৰ মাজত শেষ শ্ৰেণী সংগ্ৰামটো হৈ আছিল (অৱশ্যে উদ্যোগপ্ৰধান যিবিলাক উন্নত দেশত পুঁজিবাদৰ সম্পূৰ্ণ উন্নয়ন হৈছিল সেইবিলাকতহে এই সংগ্ৰাম হৈছিল। আন যিবিলাক অনুন্নত আছিল, সেইকাৰণে সেইবিলাকত সংগ্ৰামবিলাক কিছুপৰিমাণে সানমিহলি আৰু বেলেগ ৰকমৰ আছিল। কিন্তু পৃথিৱীখনৰ বিভিন্ন ভাগৰ পৰস্পৰিক সম্পৰ্ক বেছি হৈ থকাৰ কাৰণে আনকি সেইবিলাক দেশতো এই সংগ্ৰামৰ কিছুভাগ মূলনীতি অনুসাৰে চলিছিল)। মাৰ্ক্সে কৈছিল যে পুঁজিবাদ এটাৰ পাছত আনটো ক দুৰ্যোগ আৰু ঘোৰ সঙ্কটৰ সন্মুখীন হব লাগিব, শেহত ইয়াৰ ভাৰসাম্যৰ স্বাভাৱিক অভাৱৰ কাৰণে ই ভাগৰি পৰিব। মাৰ্ক্সে লিখাৰ পৰা এতিয়া ৬০ বছৰতকৈও বেছি হৈছে আৰু তেতিয়াৰপৰা এই কালৰ ভিতৰত পুঁজিবাদৰ বহুতো ঘোৰ সঙ্কট হৈ আছে। কিন্তু ই অন্ত পৰা দূৰৈৰ কথা সকলোবিলাক সঙ্কট অতিক্ৰম কৰি ই জীৱিত আছে আৰু ৰুচিয়াৰ বাহিৰে আন সকলো ঠাইতে ই বেছি পৰাক্ৰমী হৈছে, ৰুচিয়াত এতিয়া ই নাই। কিন্তু মই লেখি থকা সময়ত এনে দেখা গৈছে যে পৃথিৱীৰ সকলো ভাগতে ই অতি মৰ্মান্তিকভাৱে ৰুগীয়া হৈছে আৰু বেজবিলাকে ই সুস্থ হোৱাৰ সম্ভাৱনাৰ সম্পৰ্কত মূৰ জোকাৰিছে।

সাধাৰণতে কোৱা হয় যে পুঁজিবাদ আমাৰ দিনলৈকে দীঘলীয়া কাল জীয়াই থাকিব পাৰিছে, এটা কথাৰ কাৰণে, যি কথাটো সম্ভৱতঃ মাৰ্ক্সে সম্পূৰ্ণকৈ বিবেচনা নকৰিছিল। এই কথাটো আছিল পশ্চিম য়ুৰোপৰ ঔদ্যোগিক দেশবিলাকক্কে ঔপনিবেশিক সাম্ৰাজ্যবিলাকক কৰা শোষণ। ই অৱশ্যে এনেকৈ শোষিত দুৰ্ভগীয়া দেশবিলাকৰ অনিষ্ট সাধন কৰি পুঁজিবাদক নতুন জীৱন আৰু সমৃদ্ধি দান কৰিছিল।

বৰ্ত্তমান কালৰ পুঁজিবাদৰ অধীনত ধনীয়ে দুখীয়াক আৰু পুঁজিবাদীয়ে বনুৱাক শোষণ কৰাৰ আমি বৰ সঘনে নিন্দা কৰো। নিঃসন্দেহে এইটো সঁচা কথা, কিন্তু পুঁজিবাদীবিলাকৰ দোষৰ কাৰণে এনে হোৱা নাই, শোষণৰ তোচিত চলোৱা পদ্ধতিটোৰ কাৰণেহে হৈছে। এই প্ৰসঙ্গত আমি এনে ভৱা উচিত নহয় যে পুঁজিবাদৰ অধীনত এইটো নতুন কথা। অতীতৰ যুগবিলাকতো সকলো

পদ্ধতিৰ অধীনত শোষণ বনুৱা আৰু দুখীয়া মানুহৰ. নিষ্ঠুৰ আৰু অৱশ্যম্ভাৱী ভাগ্য হৈ আছিল। প্ৰকৃততে এনে বুলি কব পাৰি যে পুঁজিবাদী শোষণৰ সত্ত্বেও তেওঁলোক অতীতৰ আন যেই সেই যুগতকৈ বৰ্তমান যুগত বেছি ভাল অৱস্থাত আছে। কিন্তু এই অৱস্থা বৰ ভাল অৱস্থা বুলিব নোৱাৰি।

মাৰ্ক্সবাদৰ আটাইতকৈ শ্ৰেষ্ঠ প্ৰতিনিধি হৈছে লেনিন। তেওঁ অকল ইয়াৰ প্ৰতিনিধিত্ব আৰু ব্যাখ্যাকে মাথোন কৰা নাছিল, এইমতে নিজৰ জীৱনো চলাইছিল। তথাপি তেৱেঁই আমাক সতৰ্ক কৰি কৈছে যে মাৰ্ক্সবাদক সাল-সলনি কৰিব নোৱাৰা ধৰা বন্ধা মত বুলি ভবা উচিত নহয়। তেওঁ ইয়াৰ সাৰভাগৰ সত্যতাত দৃঢ় বিশ্বাসী আছিল, সেইবুলি তাৰ বিশদ ভাগবিলাক নভবা নিচিন্তাকৈ গ্ৰহণ কৰিবলৈ নাইবা যতে ততে প্ৰয়োগ কৰিবলৈ ৰাজী নাছিল। তেওঁ আমাক কৈছে :

"কোনো অৰ্থতে আমি মাৰ্ক্সীয় তথ্যটোক সম্পূৰ্ণ আৰু ক্ৰটীহীন বুলি নধৰো। আনফালেদি আমাৰ দৃঢ়বিশ্বাস যে সমাজবাদীবিলাকে যদি জীৱনত পিঁছ পৰি থাকিবলৈ বাঞ্ছা নকৰে, তেনেহলে তেওঁলোক যিখন বিজ্ঞানৰ সকলোফালে উন্নয়ন কৰা উচিত হব, মাৰ্ক্সীয় তথ্যটো সেই বিজ্ঞানৰ অতি প্ৰধান ভাগ। আমি ভাবো যে ৰুচ সমাজবাদীবলাকাৰ কাৰণে মাৰ্ক্সীয় তথ্যটো স্বাধীনভাৱে পৰ্যালোচনা কৰা বিশেষকৈ প্ৰয়োজনীয়, কাৰণ এই তথ্যটোৱে সাধাৰণ পথ-প্ৰদৰ্শক ভাববিলাক মাথোন দিছে। সেই ভাববিলাক বিভিন্ন প্ৰকাৰে প্ৰয়োগ কৰিব পাৰি। উদাহৰণ স্বৰূপে ফ্ৰান্সতকৈ ইংলেণ্ডত, জাৰ্মাণীতকৈ ফ্ৰান্সত, ৰাচিয়াতকৈ জাৰ্মাণীত বেলেগ ধৰণেৰে প্ৰয়োগ কৰিব পাৰি।"

এই চিঠিত মই তোমাক মাৰ্ক্সৰ তথ্যবিলাকৰ বিষয়ে অলপ কবলৈ চেষ্টা কৰিছোঁ, কিন্তু মোৰ এই ডোখৰা-ডুখৰি আলোচনাত কিবা ৰস পাইছা নে নাই, আৰু ইয়াৰ পৰা তোমাৰ কিবা স্পষ্ট ধাৰণা হব নে নহয় নেজানো। এই তথ্যবিলাক জনা ভাল, কাৰণ বৰ্তমান কালত বিৰাট সমষ্টিৰ স্ত্ৰী-পুৰুষক এইবিলাকে আলোৰিত কৰি আছে আৰু এইবিলাকৰ পৰা আমাৰ দেশত আমাৰ কাৰণে সহায় হব পাৰে। এটা শ্ৰেষ্ঠ জাতি ৰুচিয়াই আৰু এই 'চোভিয়েট-ইউনিয়ন' ৰ আন আন ভাগে মাৰ্ক্সক তেওঁলোকৰ প্ৰধান ভৱিষ্যৎ-বক্তা কৰি লৈছে আৰু বৰ্তমান কালত পৃথিৱীৰ ঘোৰ বিপত্তিত প্ৰতিকাৰ বিচৰা বহুত মানুহে প্ৰেৰণাৰ কাৰণে তেওঁৰ ওপৰত নিৰ্ভৰ কৰে।

ইংৰাজ কবি টেনিচনৰ কেইশাৰীমান কৱিতাৰে মই এই চিঠিখন শেষ কৰো। কৱিতা কেইশাৰীৰ ভাঙনি এনে হয় :

"পুৰণি ব্যৱস্থাৰ পৰিৱৰ্ত্তন হয় নতুনক বাট এৰি দি, আৰু ভালোচা এটা সজ ৰীতিয়ে পৃথিৱীখন কলুষিত কৰে, সেই দেখি ঈশ্বৰে নানা পদ্ধতিৰে নিজক সম্পূৰ্ণ কৰে।"

১৩৫

ইংলেণ্ডত ভিক্টোৰিয়াৰ যুগ

২২ ফেব্ৰুৱাৰী, ১৯৩৩

সমাজবাদী ভাৱৰ সংবৰ্ধনৰ বিষয়ে আলোচনা কৰা মোৰ চিঠি কেইখনত মই দেখুৱাইছোঁ যে ইংলেণ্ডত চলা আহিৰ সমাজবাদ আন সকলো প্ৰকাৰৰ সমাজবাদতকৈ বেচি নিৰ্জু আছিল। সেই কালৰ য়ুৰোপত প্ৰচলিত সকলোবিলাক মতবাদৰ ভিতৰত ই আটাইতকৈ কম বিপ্লৱী আছিল, আৰু ই ক্ৰমে ক্ৰমে আৰু এখাপৰ পাছত আন খাপলৈ হোৱা পৰিৱৰ্ত্তনৰদ্বাৰা বেছি ভাল অৱস্থালৈ যোৱাৰ আশাত আছিল। কোনো কোনো সময়ত যেতিয়া বাণিজ্য বেয়া হৈছিল, অৰ্থ নৈতিক অৱনতি হৈছিল, নিবনুৱা বাঢ়িছিল, মজুৰি কমিছিল আৰু জনসাধাৰণে কষ্ট ভুগিছিল, তেতিয়া ইংলেণ্ডতো বিপ্লৱৰ চৌ উঠিছিল। কিন্তু বেছি ভাল অৱস্থাৰ পুনৰ প্ৰবৰ্ত্তনৰ লগে লগে ই শাম কাটিছিল। ঊনবিংশ শতাব্দীৰ ইংৰাজৰ চিন্তাধাৰাৰ এই জুৰ প্ৰকৃতিৰ লগত ইংলেণ্ডৰ সমৃদ্ধিৰ ঘনিষ্ঠ সম্পৰ্ক আছিল, কাৰণ সমৃদ্ধি আৰু বিপ্লৱৰ মাজত অতি কম মিল থাকে। বিপ্লৱৰ অৰ্থ ডাঙৰ পৰিৱৰ্ত্তন, আৰু যিবিলাক মানুহ প্ৰচলিত অৱস্থাত ভালকৈ সন্তুষ্ট, তেওঁলোকে ইয়াক বেছি ভাল কৰাৰ সুদূৰ সম্ভাৱনাৰ কাৰণে বিপদীয়া আৰু দুঃসাহসিক কামত হবৰুৰকৈ লাগিবলৈ ইচ্ছা নকৰে।

ঊনবিংশ শতাব্দীটো প্ৰকৃততে ইংলেণ্ডৰ শ্ৰেষ্ঠৰ শতাব্দী আছিল। অষ্টাদশ শতাব্দীত শিল্পবিপ্লৱৰ সৃষ্টি কৰি আৰু আন দেশতকৈ আগতে নতুন কাৰখানাবিলাক নিৰ্মাণ কৰি সেই দেশে যি প্ৰাধান্য লাভ কৰিছিল, ১৯শ শতাব্দীৰ সৰহীয়া ভাগ কাললৈকে সেই অৱস্থা বক্ষা কৰি আছিল। মই আগতে কৈছোঁ যে সেই দেশ পৃথিবীৰ উদ্যোগ পৰিচালনাৰ কেন্দ্ৰ আছিল আৰু সুদূৰ দেশৰপৰা সম্পত্তিৰ সোঁত সেই দেশলৈ বৈছিল। ভাৰতবৰ্ষ আৰু আন ঔপনিৱেশিক ৰাজ্যবিলাকত হোৱা শোষণে সেই দেশক নিয়মীয়াকৈ সৰহ পৰিমাণৰ ধন নিৰন্তৰে যোগাইছিল আৰু সেই দেশৰ গৌৰৱ বঢ়াইছিল। যিবিলাকত য়ুৰোপত প্ৰায় সকলোবিলাক দেশতে পৰিৱৰ্ত্তন ঘটিছিল, তেতিয়া ইংলণ্ডক কোনো বিপ্লৱে নোহোৱাকৈ পাহাৰৰ দৰে মজবুত আৰু পৰিৱৰ্ত্তনহীন হৈ থকা যেন দেখা গৈছিল। সময়ে সময়ে তাত ঘোৰ সংকট হৈছিল। কিন্তু আৰু অধিক বেছি সংখ্যাৰ মানুহক ভোট দিয়াৰ অধিকাৰ

দি সেইবিলাক দমন কৰা হৈছিল। আমি জানিব পাৰিছোঁ যে এই কালছোৱাৰ ভিতৰত ফ্ৰান্সত গণৰাষ্ট্ৰ আৰু সাম্ৰাজ্য লৰালৰিকৈ এটাৰ পাছত আনটো হৈ আছিল ; ইটালীত নতুন জাতি এটাৰ উদ্ভৱ হৈ বহুকালৰ অনৈক্যৰ পাছত ই সমগ্ৰ উপদ্বীপটোক ঐক্যবদ্ধ কৰিছিল, জাৰ্মাণীত নতুন এখন সাম্ৰাজ্য স্থাপিত হৈছিল। বেলজিয়াম, ডেনমাৰ্ক, গ্ৰীচ আদি সৰু-সুৰা দেশবিলাকো নানা প্ৰকাৰে পৰিৱৰ্তিত হৈছিল। য়ুৰোপৰ আটাইতকৈ বেছি প্ৰাচীন ৰাজবংশ হেপচবাৰ্গ বংশৰ তেতিয়াও ৰাজধানী হৈ থকা অষ্ট্ৰিয়া দেশখনক ফ্ৰান্স, ইটালী আৰু প্ৰুচিয়াই বাৰে বাৰে অপদস্থ কৰিছিল। পূবকালে ৰুচিয়া যথোন পৰিৱৰ্তনহীন হৈ থকা দেখা গৈছিল, তাত স্বেচ্ছাচাৰী জাৰে 'মহৎ-মোগল'ৰ দৰে শাসন চলাইছিল। কিন্তু উদ্যোগ বিষয়ত ৰুচিয়া অতি অনুন্নত আছিল আৰু সেইখন কৃষক জাতিৰ দেশ আছিল, নতুন ভাব আৰু নতুন উদ্যোগৰ বা তেতিয়াও সেই দেশত লগাগৈ নাছিল।

ইংলেণ্ডৰ সম্পত্তি, সাম্ৰাজ্য আৰু সামুদ্ৰিক শক্তিয়ে সেই দেশক য়ুৰোপত আৰু পৃথিৱীত প্ৰভুত্বশীল স্থান দিছিল। সেই দেশ সকলোতকৈ প্ৰধান জাতি আছিল, পৃথিৱীৰ সকলো ভাগলৈকে সেই দেশৰ বাহু প্ৰসাৰিত হৈছিল। আমেৰিকাৰ যুক্তৰাজ্য তেতিয়াও নিজৰ জঞ্জালবিলাকতে সম্পূৰ্ণ আবদ্ধ আছিল, তেওঁলোক পৃথিৱীৰ বিষয়বিলাকতকৈ নিজৰ দেশৰ আভ্যন্তৰিন সংবৰ্ধনৰ বিষয়ত বেছি ব্যগ্ৰ আছিল। পৰিবহনৰ পদ্ধতিত বিস্ময়কৰ পৰিৱৰ্তন হৈছিল আৰু ই পৃথিৱীখন দেখদেখকৈ বেছি সৰু আৰু বেছি চাপখোৱা কৰিছিল। এইবিলাকেও ইংলেণ্ডক দূৰৈৰ দেশবিলাকত তেওঁলোকৰ প্ৰভুত্ব সুদৃঢ় কৰাত সহায় কৰিছিল। এই সকলোবিলাক পৰিৱৰ্তনৰ মাজেও ইংলেণ্ডৰ শাসন ব্যৱস্থাৰ গঢ় একে আছিল। সাংবিধানিক ৰজা অৰ্থাৎ অতি কম ক্ষমতা থকা এজন শাসক আৰু শ্ৰেষ্ঠ কৰ্তৃত্ব থকা বুলি ভৱা এখন 'পাৰ্লেমেণ্ট' (সংসদ)। প্ৰথমতে অতি কম সংখ্যাৰ জমিদাৰ আৰু ধনী বণিক কিছুমানে নিৰ্বাচিত কৰি পঠিওৱা সদস্যৰে পাৰ্লামেণ্টখন গঠিত হৈছিল, কিন্তু শতাব্দীটোৰ ভিতৰত যেতিয়াই ঘোৰ সঙ্কট হৈছিল, তেতিয়াই অশান্তি দূৰ কৰিবলৈ ক্ৰমে বেছি মানুহক ভোটৰ অধিকাৰ দিয়া হৈছিল।

শতাব্দীটোৰ সৰহীয়া ভাগ জুৰি ভিক্টোৰিয়া ইংলেণ্ডৰ ৰাণী আছিল। তেওঁ হানোভাৰ নামৰ জাৰ্মাণ ৰাজবংশটোৰ আছিল, এই ৰাজবংশটোৱেই অষ্টাদশ শতাব্দীত ইংলেণ্ডৰ ৰাজ-সিংহাসনলৈ জৰ্জ নামৰ কেইবাজনো ৰজা দিছিল। ১৮৩৭ খ্ৰীঃত ১৮ বছৰীয়া ছোৱালী ভিক্টোৰিয়া সিংহাসনত উঠিছিল আৰু শতাব্দীটোৰ শেষ বছৰ ১৯০০ খ্ৰীঃলৈকে ৬৩ বছৰ তেওঁ ৰাজত্ব কৰিছিল। ইংলেণ্ডৰ এই দীঘলীয়া যুগটোক সঘনে ভিক্টোৰিয়াৰ যুগ বোলা হয়। এইদৰে ৰাণী ভিক্টোৰিয়াই য়ুৰোপ আৰু আন আন ঠাইত বহুতো ডাঙৰ পৰিৱৰ্তন দেখিছিল, পুৰণি বৈশিষ্ট্য লোপ পোৱা নতুন বৈশিষ্ট্যই তাৰ ঠাই লোৱা দেখিছিল। তেওঁ য়ুৰোপৰ বিপ্লৱবিলাক, ফ্ৰান্সৰ পৰিৱৰ্তন ইটালী ৰাজ্যখনৰ আৰু জাৰ্মাণ সাম্ৰাজ্যখনৰ অভ্যুদয় দেখিছিল। তেওঁৰ মৃত্যুৰ সময়ত তেওঁ এক প্ৰকাৰে য়ুৰোপৰ আৰু য়ুৰোপৰ ৰজাসকলৰ বুঢ়ীআই হৈছিল। কিন্তু ভিক্টোৰিয়াৰ সমসাময়িক য়ুৰোপৰ আন একাধিকাৰী শাসকৰো একে ধৰণৰ খতিয়ান আছিল। তেওঁ আছিল

অষ্ট্ৰিয়াৰ হেপচবাৰ্গ ৰাজবংশৰ ক্ৰান্তিক জোচেফ। বিপ্লৱৰ বছৰ ১৮৪৮ খ্ৰীষ্টাব্দ তেওঁ বেতিয়া তেওঁৰ ছেদেলি-ভেদেলি হৈ থকা সাম্ৰাজ্যখনৰ সিংহাসনত উঠিছিল। তেতিয়া তেওঁৰো বয়স ১৮ বছৰ আছিল। তেওঁ ৬৮ বছৰ ৰাজত্ব কৰিছিল আৰু অষ্ট্ৰিয়া, হাঙ্গেৰি আৰু আন ভাগ বিলাক তেওঁ একেলগ কৰি ৰাখিবলৈ সমৰ্থ হৈছিল। কিন্তু বিশ্বযুদ্ধখনে তেওঁৰ সাম্ৰাজ্যখনৰ অন্ত পেলাইছিল।

ভিক্টোৰিয়া বেছি ভাগ্যৱতী আছিল। তেওঁৰ ৰাজত্ব কালত তেওঁ ইংলেণ্ডক পৰাক্ৰমী হোৱা আৰু সেই দেশৰ সাম্ৰাজ্য বিস্তাৰিত হোৱা লক্ষ্য কৰিছিল। তেওঁ সিংহাসনত উঠাৰ সময়ত কানাডাত অশান্তি হৈছিল। সেই উপনিৱেশখন প্ৰকাশ্যে বিদ্ৰোহ কৰিছিল আৰু উপনিৱেশবাসী বহুতে ইংলেণ্ডৰ লগত সম্পৰ্ক ছেদ কৰি তেওঁলোকৰ ওচৰচুবুৰীয়া আমেৰিকা যুক্তৰাজ্যৰ লগ লাগিব খুজিছিল। কিন্তু ইংলণ্ডে আগতে আমেৰিকাৰ যুদ্ধৰপৰা শিক্ষা পাইছিল, তেওঁলোকে কানাডাবাসী-বিলাকক বহুতো পৰিমাণে স্বায়ত্ব শাসনৰ অধিকাৰ দি লবালবিকৈ তেওঁলোকক শান্ত কৰিছিল। ইয়াৰ অলপ দিনৰ পাছত উপনিৱেশখনৰ উন্নয়ন হৈ ই সম্পূৰ্ণ স্বায়ত্ব শাসিত 'ডমিনিয়ন'ত পৰিণত হৈছিল। সাম্ৰাজ্য এখনৰ ভিতৰত ই এটা নতুন ৰকমৰ পৰীক্ষা হৈছিল কাৰণ স্বাধীনতা আৰু সাম্ৰাজ্য একেলগে বেয়াকৈ চলে কিন্তু অৱস্থাই ইংলেণ্ডক তেনে কৰিবলৈ বাধ্য কৰিছিল, নহলে কানাডা গ'লহেঁতেন। কানাডাৰ অধিক সংখ্যক অধিবাসী ইংৰাজৰ বংশধৰ হোৱাৰ কাৰণে উপনিৱেশবাসীবিলাক যি দেশৰপৰা গৈছিল, সেই দেশৰ প্ৰতি তেওঁলোকৰ গভীৰ আবেগিক ঐক্যৰ ভাব আছিল। নতুন দেশখন বিশাল আৰু অনুন্নত আছিল আৰু ইয়াৰ লোকসংখ্যা পাতল আছিল, সেই কাৰণে সেই দেশে তাৰ উন্নয়নৰ কাৰণে বহুতো পৰিমাণে ইংৰাজ উপদ্যোগপতিবিলাকৰ আৰু ইংলেণ্ডৰ ধনৰ ওপৰত নিৰ্ভৰ কৰিব লাগিছিল। সেই কাৰণে সেই কালত এই দুখন দেশৰ মাজত স্বাৰ্থৰ কোনো সংঘৰ্ষ নহৈছিল আৰু দেশ দুখনৰ মাজত হোৱা আচৰিত ধৰণৰ নতুন সম্বন্ধটোত অপকাৰী প্ৰভাৱ নপৰিছিল।

শতাব্দীটোৰ শেষৰ ফালে বাহিৰৰ বৃটিছ উপনিৱেশবিলাকত স্বায়ত্ব শাসনৰ অধিকাৰ দিয়াৰ এই পদ্ধতিটো অষ্ট্ৰেলিয়ালৈ সম্প্ৰসাৰিত কৰা হৈছিল, এই উপনি-ৱেশখন শতাব্দীটোৰ মাজ ভাগলৈকে দ্বীপান্তৰিত কৰা অপৰাধী ৰখা ঠাই আছিল। শতাব্দীটোৰ শেষৰ ফালে অষ্ট্ৰেলিয়া সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত যুক্ত 'ডমিনিয়ন' হৈছিল।

আনফালেদি ভাৰতবৰ্ষত বৃটিছৰ প্ৰভুত্ব সুদৃঢ় কৰা হৈছিল আৰু ৰাজ্য অধি-কাৰৰ কাৰণে এখনৰ পাছত এখনকৈ যুদ্ধ চলাই বৃটিছ ভাৰতীয় সাম্ৰাজ্য বঢ়োৱা হৈছিল। ভাৰতবৰ্ষ বৃটিছৰ অধীনস্থ ৰাজ্য আছিল। ইয়াত স্বায়ত্ত্বৰ গোন্ধও নপৰি-ছিল। ১৮৫৭ খ্ৰীঃৰ বিদ্ৰোহ সম্পূৰ্ণ দমন কৰা হৈছিল আৰু ভাৰতবৰ্ষক সাম্ৰাজ্য-খনৰ সকলো পৰা ক্ৰমৰ আধাৰ অনুভৱ কৰোৱা হৈছিল। মই আন এখন চিঠিত তোমাক কৈছোঁ কেনেকৈ ইংলেণ্ডে বিবিধ প্ৰকাৰে এই দেশক শোষণ কৰিছিল। ভাৰতবৰ্ষ অৱশ্যে বৃটেইনৰ অতি গুৰুত্বপূৰ্ণ সাম্ৰাজ্য আছিল আৰু পৃথিৱীত এই কথাটো ঘোষণা কৰিবৰ কাৰণে ৰাণী ভিক্টোৰিয়াই 'ভাৰতবৰ্ষৰ সম্ৰাজ্ঞী'

উপাধি লৈছিল। কিন্তু ভাৰতবৰ্ষৰ বাহিৰেও পৃথিৱীৰ বিভিন্ন ভাগত বৃটিছৰ আন বহুতো সৰু অধীনস্থ ৰাজ্য আছিল।

এইদৰে বৃটিছ সাম্ৰাজ্যখন স্বায়ত্ত শাসন চলা যিবিলাক দেশ পিচত মুক্ত ডমিনিয়ন হৈছিল সেইবিলাক দেশ আৰু অধীনস্থ আৰু আশ্ৰিত ৰাজ্যবিলাক এই দুই প্ৰকাৰৰ দেশ আচৰিত ধৰণেৰে সানমিহলি হৈ থকা এটা গোট হৈছিল। আগৰ বিধৰ দেশবিলাকৰ মানুহবিলাক প্ৰায় একে ঘৰৰ মানুহ আছিল, যিখন দেশৰপৰা তেওঁলোক গৈছিল, সেই দেশক তেওঁলোকে শীৰ্ষস্থানীয় বুলি মানিছিল; পিছৰ বিধৰ দেশবিলাকৰ মানুহবিলাক নিশ্চয়কৈ ঘৰখনৰ চাকৰ আৰু গোলাম আছিল, তেওঁলোকক ঘিণ কৰা হৈছিল, তেওঁলোকৰ প্ৰতি অসৎ আচৰণ কৰা হৈছিল আৰু তেওঁলোকক শোষণ কৰা হৈছিল। স্বায়ত্ত শাসিত উপনিৱেশবিলাকত বৃটিছ আৰু আন য়ুৰোপীয় মানুহ আৰু তেওঁলোকৰ বংশধৰবিলাক আছিল। অধীনস্থ ৰাজ্য সকলোবিলাকৰ অধিবাসী বৃটিছো নাছিল, য়ুৰোপীয়ও নাছিল। বৃটিছ সাম্ৰাজ্যৰ ভাগ দুটাত এই পাৰ্থক্যবিলাক এতিয়াও চলি আছে।

ইংলেণ্ডৰ সম্পত্তি আৰু সাম্ৰাজ্যৰে সেই দেশ প্ৰায় সন্তুষ্ট এটা শক্তি আছিল; সম্পূৰ্ণ সন্তুষ্ট নাছিল, কাৰণ সাম্ৰাজ্যবাদী প্ৰকৃতিটো কোনো সীমান্ততে কেতিয়াও সন্তুষ্ট নহয়, ই সদায় বাঢ়ি যাব খোজে। তথাপি ইংলেণ্ডৰ প্ৰধান চিন্তা হৈছিল আৰু বেছি লবলৈ নহয় যিখিনি পাইছিল তাক ৰক্ষা কৰিবৰলৈহে।

বিশেষকৈ ভাৰতবৰ্ষ আছিল ইংলণ্ডৰ শ্ৰেষ্ঠ দখল, সেই দেশে ভাৰতক শেহলৈকে ৰাখি থাকিব খুজিছিল। সেই দেশৰ সকলো বৈদেশিক নীতি ভাৰতবৰ্ষত দখল ৰখা আৰু প্ৰাচ্যলৈ অহা সামুদ্ৰিক পথৰ নিৰাপত্তাক কেন্দ্ৰ কৰি স্থিৰ কৰা হৈছিল। এই কাৰণেই ইংলেণ্ডে মিছৰত অনাহকত হস্তক্ষেপ কৰি অৱশেষত সেই দেশত আধিপত্য স্থাপন কৰিছিল; সেই একে কাৰণতে ইংলেণ্ডে পাৰস্য আৰু আফগানিস্থানতো হস্তক্ষেপ কৰিছিল। এটা চতুৰ বুদ্ধিৰে ইংলেণ্ডে চুয়েজখাল চলোৱা কোম্পানিটোৰ অংশবিলাক কিনি লৈ এই উপায়েৰে খালটোৰ ওপৰত আধিপত্য লাভ কৰিছিল।

য়ুৰোপৰ প্ৰধান ভূমিভাগৰ সৰহ ভাগ শক্তিয়ে উনবিংশ শতাব্দীৰ সৰহছোৱা কাল ইংলেণ্ডক হাইৰাণ নকৰিছিল। কাৰণ সেইবোৰ দেশ নিজৰ নিজৰ দুৰ্যোগেৰে ভৰপূৰ আছিল আৰু সঘনে এখনে আন এখনৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। ইংলেণ্ডে সেই দেশৰ পৰম্পৰাগত ৰীতিৰে এখন দেশক আন দেশৰ বিৰুদ্ধে তুলি য়ুৰোপৰ প্ৰধান ভূমিভাগত চলা প্ৰতিদ্বন্দ্বিতাৰ সুযোগ লৈ য়ুৰোপত ক্ষমতাৰ ভাৰসাম্য ৰাখিছিল। ৩য় নেপোলিয়ন বিপদীয়া যেন দেখা গৈছিল, কিন্তু তেওঁৰ পতন হৈছিল আৰু ফ্ৰান্সে সুখ অৱস্থা পাবলৈ কিছু সময় লাগিছিল। জাৰ্মানী তেতিয়াও ইমান সৰু আছিল যে সেই দেশক গুৰুত্বপূৰ্ণ প্ৰতিদ্বন্দ্বী বুলি বিবেচনা কৰা নাছিল, কিন্তু এখন দেশে বৃটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে কেনেবা সজা যেন দেখা গৈছিল, সেই দেশখন আছিল জাৰৰ অধীনৰ ৰুছিয়া; সেই দেশখন অনুন্নত আছিল, কিন্তু মানচিত্ৰত ই সদায় এখন ডাঙৰ দেশ। বিকাশত ভাৰতবৰ্ষ আৰু দক্ষিণ এচিয়াত

ইংলেণ্ডে ৰাজ্য বঢ়াইছিল, সেই কালত উত্তৰ আৰু মধ্য এছিয়াত ৰুচিয়াই ৰাজ্য বঢ়াইছিল আৰু সেই দেশৰ সীমা ভাৰতবৰ্ষৰপৰা বেছি দূৰৈত নাছিল। ৰুচিয়া এইদৰে ওচৰ চপাটো বৃটিছৰ কাৰণে নিৰন্তৰ দুঃস্বপ্ন হৈছিল। ভাৰতবৰ্ষৰ বিষয়ে আলোচনা কৰোঁতে মই তোমাক আগতে বৃটিছে আফগানিস্তান আক্ৰমণ কৰাৰ কথা আৰু আফগান যুদ্ধবিলাকৰ কথা কৈছোঁ। এইবিলাকৰ প্ৰায় সকলো-খিনিয়েই জাৰৰ অধীনৰ ৰুচিয়ালৈ ভয়ৰ কাৰণে হৈছিল।

য়ুৰোপতো ইংলেণ্ড আৰু ৰুচিয়াৰ কন্দল হৈছিল। ৰুচিয়াই ৰবকৈ বাঞ্ছা কৰিছিল সাগৰৰ এনে এটা বন্দৰ পাবলৈ যিটো বছৰৰ সকলো সময়তে উন্মুক্ত হৈ থাকিব আৰু যত জাৰকালি পানী গোট নেমাৰিব। যদিও সেই দেশৰ বিশাল ৰাজ্য আছিল, তথাপি তাৰ সকলোবিলাক বন্দৰ উত্তৰ মেৰুৰ পৰিধিৰ ভিতৰত পৰিছিল আৰু সেইবিলাকত বছৰৰ এটা ভাগত পানী গোট মাৰিছিল। ভাৰতবৰ্ষ আৰু আফগানিস্থানত বৃটিছে তেওঁলোকৰ সাগৰলৈ অহা বাট বন্ধ কৰিছিল, পাৰস্যতো তেনে হৈছিল। বচফৰাচ্ আৰু দাৰ্দানেলিজ প্ৰণালীত তুৰ্কবিলাকৰ অধিকাৰ হোৱাত কৃষ্ণ সাগৰলৈ অহা বাট বন্ধ কৰা হৈছিল। অতীতত ৰুচিয়াই কনষ্টাণ্টিনোপল লবলৈ চেষ্টা কৰিছিল, কিন্তু তুৰ্কবিলাক এনে সবল আছিল যে তেওঁলোকক পৰাজিত কৰিব পৰা নহৈছিল। এই কালত তুৰ্কবিলাক দুৰ্বল আছিল আৰু ৰবকৈ আশা পালি থকা পুৰস্কাৰটো হাতৰ মুঠিলৈ প্ৰায় অহা যেন লাগিছিল। ৰুচিয়াই তাক লবলৈ চেষ্টা কৰিছিল, কিন্তু ইংলেণ্ডে বাধা দিছিল আৰু তেনেই স্বাৰ্থপৰ কাৰণত সেই দেশ তুৰ্কবিলাকৰ সমৰ্থক হৈছিল। ১৮৫৪ খ্ৰীঃত ক্ৰিমিয়াৰ যুদ্ধৰ দ্বাৰা আৰু পিছত আন এখন যুদ্ধৰ ভয় দেখুৱাই ৰুচিয়াক প্ৰতিৰোধ কৰা হৈছিল।

১৮৫৪–৫৬ খ্ৰীঃত ৰুচিয়াৰ যুদ্ধ চলি থকা কালতে ফ্লোৰেন্স নাইটিংগেলে যুদ্ধত আহতবিলাকৰ পৰিচৰ্যাৰ কাৰণে এদল সাহিয়াল মহিলা স্বেচ্ছাসেবিকা নিছিল। সেই কালত এনে কাম কৰা এটা সাধাৰণ কথা নাছিল, কাৰণ ভিক্টোৰিয়াৰ যুগৰ মধ্যবিত্ত মহিলাসকল ঘৰৰ ভিতৰত সোমাই থকা মানুহ আছিল। ফ্লোৰেন্স নাটিংগেলে তেওঁলোকক যুদ্ধক্ষেত্ৰত সেৱাৰ আহি এটা দেখুৱাই তেওঁলোকৰ বুলনী চ'বাৰপৰা সেই সেৱালৈ আকৃষ্ট কৰিছিল। এইদৰে মহিলা আন্দোলনৰ উন্নয়নত তেওঁৰ এখন প্ৰধান আসন আছে।

বৃটেনত যি গঢ়ৰ শাসন ব্যৱস্থা চলিছিল, তাক সাংবিধানিক বা সংসদী ৰাজতন্ত্ৰ নাইবা 'মুকুট পিন্ধা গণতন্ত্ৰ' বোলা হয়। ইয়াৰ অৰ্থ আছিল এই যে মুকুট পিন্ধা লোকজনৰ প্ৰকৃত ক্ষমতা নাছিল, কিন্তু পাৰ্লামেণ্ট বা সংসদে যিসকল মন্ত্ৰীক বিশ্বাস কৰিছিল, সেই মন্ত্ৰীসকলৰ তেওঁ মুখপাত্ৰ মাথোন আছিল। ৰাজনৈতিক ভাবে তেওঁ (পুৰুষ বা স্ত্ৰীক) মন্ত্ৰীসকলৰ হাতৰ পুতলা মাথোন বুলি ভবা হৈছিল। কোৱা হৈছিল যে তেওঁ 'ৰাজনীতিৰ ঊৰ্দ্ধত'। প্ৰকৃততে বুদ্ধি নাইবা উচ্চা শক্তি থকা কোনো মানুহেই মুঠেই পুতলা হব নোখোজে আৰু ইংৰাজ ৰজা বা ৰাণীৰ ৰাজহুৱা কামত হস্তক্ষেপ কৰাৰ যথেষ্ট সুযোগ আছে। সাধাৰণতে দৃশ্যপটৰ অন্তৰালত এনে কৰা হয় আৰু বাহিৰে তাৰ বহুত

দিনৰ পাছলৈকে এই বিষয়ে কাচিৎহে জানে। সম্ভৱতঃ প্ৰকাশ্যভাৱে কৰা যেই সেই হস্তক্ষেপকে ৰবকৈ বেয়া পোৱা হৈছিল তাৰপৰা ৰাজতন্ত্ৰৰ বিপদৰ সম্ভাৱনা আছিল। সাংবিধানিক ৰজাৰ যি ডাঙৰ গুণটো থকা উচিত সেইটো হৈছে কাৰ্য-কৌশল; তেওঁৰ যদি এই গুণটো থাকে, তেনেহলে তেওঁ চলি থাকিব পাৰে আৰু বহুতো বিষয়ত তেওঁৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

সংবিধান মতে আৰু আইনমতে সংসদী শাসন চলা দেশবিলাকৰ ৰজাসকলতকৈ গণৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ (আমেৰিকা যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতিজনৰ দৰে) বহুতো বেছি ক্ষমতা থাকে। কিন্তু ৰাষ্ট্ৰপতিসকল সঘনে পৰিৱৰ্ত্তিত হয় আৰু ৰজাসকল বহুকাল থাকে আৰু তেওঁলোকে নিবলে হলেও নিৰন্তৰে পৰিক্ৰমাবিলাক যেই সেই বিশেষ কাললৈ ঢাল খুৱাব পাৰে। ৰজাই তেওঁৰ সমাজ নিয়ন্ত্ৰণৰ প্ৰভাৱ আকৰ্ষণীয় কৰি তাক বিস্তাৰ কৰিবলৈ অসংখ্য সুযোগ পায়, কাৰণ সামাজিক কাৰ্যক্ষেত্ৰত তেওঁ সৰ্বপ্ৰধান। প্ৰকৃততে ৰাজসভাবিলাকৰ সমষ্ট পৰিৱেশটো একনায়কত্ববাদৰ, মৰ্যদাৰ অগ্ৰাধিকাৰৰ, উপাধিৰ আৰু শ্ৰেণীৰ পৰিবেশ, এই পৰিবেশে সমগ্ৰ দেশৰ কাৰণে অনুকৰণৰ এটা চানেকী দেখুৱায়। সামাজিক সমতা আৰু শ্ৰেণী বদ কৰাৰ লগত ইয়াৰ সামঞ্জস্য নাই। কোনো সন্দেহ নাই যে ইংলেণ্ডত ৰাজসভা এখনৰ স্থিতিয়ে ইংৰাজবিলাকৰ মানসিক প্ৰবৃত্তিৰ গঢ় দিয়াত আৰু সমাজৰ শ্ৰেণী বিভাগটো গ্ৰহণ কৰিবলৈ তেওঁলোকক মান্তি কৰোৱাত বহুতো পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিছে। নাইবা সম্ভৱতঃ এইদৰে কলেহে বেছি শুদ্ধ হব যে এটাৰ ওপৰত আন এটাকৈ থকা শ্ৰেণীবিলাক মানি লোৱাৰ কাৰণেই ইংলেণ্ডত ৰাজশক্তিৰ অনুষ্ঠানটো জীয়াই থাকিব পাৰিছে, যদিও পৃথিৱীৰ প্ৰায় সকলোবিলাক ডাঙৰ দেশৰপৰা ই অন্তৰ্ধান হৈছে। পুৰণি প্ৰবচন এটা আছে যে "প্ৰত্যেকজন ইংৰাজে তেওঁতকৈ শ্ৰেষ্ঠ এজনক ভাল পায়" আৰু ইয়াত বহুতো সত্যতা আছে। ইংলেণ্ডত শ্ৰেণী বিভাগ বেনে উগ্ৰ, য়ুৰোপ বা আমেৰিকাৰ ক'তো আৰু এচিয়াত জাপান আৰু ভাৰতবৰ্ষৰ বাহিৰে আন ক'তো তেনে উগ্ৰ নহয়। যি ইংলণ্ডে অতীতত ৰাজনৈতিক গণতন্ত্ৰৰ আৰু উদ্যোগ পদ্ধতিৰ নেতা আছিল, সেই দেশ সামাজিক বিষয়ত ইমান অনুন্নত আৰু ইমান মৌলিকভাৱে ৰক্ষণশীল হোৱাটো আচৰিত কথা।

বৃটিছ সংসদখনক ('পাৰ্লামেণ্ট'ক) 'সংসদ-জননী' বোলা হয়। ইয়াৰ দীঘলীয়া আৰু সন্মানীয় এটা জীৱনী আছে আৰু বহুতো বিষয়ত ৰজাৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে যুদ্ধত ই পথ প্ৰদৰ্শক আছিল। সেই স্বেচ্ছাচাৰিতাই সংসদৰ আছুতীয়া সমষ্টিৰ শাসনক অৰ্থাৎ জমিদাৰ আৰু শাসকৰ সৰু এটা শ্ৰেণীৰ শাসনক ঠাই এৰি দিছিল। তাৰ পাছত জয়চোল ৰজাই গণতন্ত্ৰ আহিছিল আৰু বহুতো-যুদ্ধ-বিগ্ৰহৰ পাছত লোকসংখ্যাৰ সংখ্যাগৰিষ্ঠ মানুহক নিম্ন সদনলৈ ('হাউচ অৱ কমন্স'লৈ) সদস্য নিৰ্বাচন কৰিবলৈ ভোটৰ অধিকাৰ দিয়া হৈছিল। ইয়াৰ ফলত প্ৰকৃত গণতান্ত্ৰিক আধিপত্য স্থাপিত নহৈছিল কিন্তু ধনী উদ্যোগবিলাকৰ সংসদত (পাৰ্লামেণ্টত) আধিপত্য হৈছিল। গণতন্ত্ৰৰ সলনি ধনীকতন্ত্ৰ হৈছিল।

বৃটিছ পাৰ্লামেণ্টে শাসন চলোৱা আৰু আইন কৰা কাম কৰিবৰ অৰ্থে এটা আচৰিত পদ্ধতিৰ উন্নয়ন সাধিছিল। ই দুদলীয়া পদ্ধতি আছিল। দুয়ো

দলৰ মাজত পাৰ্থক্য বেছি নাছিল, তেওঁলোকে কোনো বিকল্প মতৰ অৱতাৰণা নকৰিছিল। দুয়োটাই ধনী মানুহৰ দল আছিল আৰু প্ৰচলিত সমাজ ব্যৱস্থা মানি লৈছিল। এটা দলত পুৰণি জমিদাৰ শ্ৰেণীৰ মানুহৰ সংখ্যা বেছি আছিল, আনটোত ধনী কাৰখানাৰ মালিকৰ সংখ্যা বেছি আছিল। কিন্তু পাৰ্থক্যটো অতি সামান্য আছিল। তেওঁলোকক 'হুইগ' আৰু 'টৰি' বোলা হৈছিল ; পিছত ঊনবিংশ শতাব্দীত তেওঁলোকক ৰক্ষণশীল আৰু উদাৰনৈতিক বুলি নামাকৰণ কৰা হৈছিল।

য়ুৰোপৰ আনবিলাক দেশৰ অৱস্থা বৰ বেলেগ আছিল আৰু সেইবিলাক দেশত বিভিন্ন কাৰ্য-তালিকা আৰু বিভিন্ন ভাবধাৰা থকা প্ৰকৃত দলবিলাকে সংসদত আৰু তাৰ বাহিৰত তীব্ৰভাৱে পৰস্পৰ সংগ্ৰাম চলাইছিল। কিন্তু ইংলেণ্ডত সকলোবিলাক একে পৰিয়ালৰ কথা যেন আছিল, আত বিৰোধিতা এক প্ৰকাৰৰ সহযোগিতা হৈছিল আৰু প্ৰত্যেক কোনো এবাৰত শাসন চলোৱা দল আৰু কোনোবাৰত বিৰোধী দল হৈছিল। ধনী আৰু দুখীয়াৰ মাজত প্ৰকৃত সংঘাতে আৰু শ্ৰেণী সংঘৰ্ষই সংসদত দেখা নিদিছিল, কাৰণ দুয়োটা বৃহৎ দলেই ধনী মানুহৰ দল আছিল। জনসাধাৰণৰ বিপুবিলাক উচ্চতাৰে ধৰ্ম বিষয়ৰ প্ৰাধান্য থকা কোনো প্ৰশ্ন নাছিল, জাতি-গোষ্ঠী সম্পৰ্কীয় নাইবা জাতীয় প্ৰশ্নও নাছিল (য়ুৰোপৰ প্ৰধান ভূমিভাগত যেনেকৈ আছিল)। শতাব্দীটোৰ শেষৰ কালে একেটা মাথোন উত্তেজনাৰ প্ৰকৃত বিষয় আয়াৰলেণ্ড জাতীয়তাবাদী সদস্যসকলে তুলিছিল, কাৰণ তেওঁলোকৰ কাৰণে আয়াৰলেণ্ডৰ মুক্তি জাতীয় প্ৰশ্ন আছিল।

যেতিয়া দুটা একে বৃহৎ দলে সংসদলৈ সদস্য তোলে, তেতিয়া স্বতন্ত্ৰ ব্যক্তি নাইবা সৰু সমষ্টিৰ কাৰণে নিৰ্বাচিত হোৱা বৰ টান হয়। গণতন্ত্ৰ আৰু ভোটৰ অধিকাৰৰ সত্বেও দুৰ্ভগীয়া ভোটদাতাৰ এই বিষয়ত প্ৰায় মাত নেথাকে। তেওঁ যেই সেই এটা দলৰ প্ৰাৰ্থীক ভোট দিব পাৰে নাইবা ঘৰত বহি থাকি ভোট একেবাৰে নিদিব পাৰে। সংসদৰ সদস্যসকলৰো অতি অলপমানহে স্বাধীনতা থাকে। তেওঁলোকে দলৰ নেতাজনৰ আদেশ পালি ভোট দিব লাগে আৰু তাৰ বাহিৰে আন প্ৰায় একো কৰিব নোৱাৰে। কাৰণ এই প্ৰকাৰেহে তেওঁলোকে দলটোত ঐক্য প্ৰতিস্থিত কৰিব পাৰে আৰু প্ৰতিদ্বন্দী দলটোক পৰাজিত কৰি শাসন চলোৱাৰ ক্ষমতা লাভ কৰিবৰ অৰ্থে শক্তি গোটাব পাৰে। নিঃসন্দেহে একে ঐক্য আৰু মিল গুণ দুটাৰ কামবপৰা চালে ভাল, কিন্তু ইয়াত প্ৰকৃত গণতন্ত্ৰৰপৰা বহুত আঁতৰত।

সেই কাৰণে আমি দেখিবলৈ পাওঁ যে যি ইংলেণ্ডক গণতান্ত্ৰিক প্ৰগতিৰ চানেকী বুলি সঘনে উচ্চ স্থান দিয়া হয়, আনকি, সেই দেশতো গণতন্ত্ৰ অতি সুন্দৰকৈ কৃতকাৰ্য হোৱা নাছিল। শাসন চলোৱাৰ ডাঙৰ সমস্যা হৈছে কেনেকৈ শ্ৰেষ্ঠ লোকসকলক বাছি উলিওৱা উচিত,—এই সমস্যাটো সন্তোষজনককৈ সমাধান কৰা নহৈছিল। গণতন্ত্ৰ কামত লগোৱাৰ অৰ্থ হৈছিল বহুতো পৰিমাণে চিঞৰ-বাখৰ কৰা আৰু বাজহুৱা বক্তৃতা দিয়া আৰু বেচেৰা ভোটদাতাবিলাকক এনে

এজন মানুহ বাছি দিবলৈ ফুচুলুৱা বিজনৰ বিষয়ে তেওঁলোকে একো নেজানিছিল। সাধাৰণ নিৰ্বাচনবিলাকক য'ত সকলো ৰকমৰ প্ৰতিশ্ৰুতি দিয়া হয় তেনে ৰাজহুৱা নিলাম বুলি বৰ্ণনা কৰা হৈছে। যি কি নহওক, এই সকলোবিলাক ত্ৰুটীৰ সত্বেও এই কৃত্ৰিম বা কপট গণতন্ত্ৰ চলি আছিল, কাৰণ ইংলেণ্ড সমৃদ্ধিশালী আছিল আৰু এই সমৃদ্ধিয়ে পদ্ধতিটোৰ পতনত বাধা দিছিল আৰু কিছু পৰিমাণে সন্তোষ দিছিল।

১৯শ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ ইংলেণ্ডৰ ৰাজনৈতিক দলৰ দুজন নেতা আছিল ডিজৰেলি আৰু গ্লেড্‌ষ্টোন। ডিজৰেলি পিছত বেকন্সফিল্ডৰ 'আৰ্ল' হৈছিল, তেওঁ ৰক্ষণশীলবিলাকৰ নেতা আছিল আৰু বহুত বাৰ প্ৰধানমন্ত্ৰী হৈছিল। এইটো তেওঁৰ কাৰণে অসাধাৰণভাবে শ্ৰেষ্ঠ কাম আছিল, কাৰণ তেওঁ ইহুদী আছিল, আৰু তেওঁৰ প্ৰাধান্য থকা কোনো সম্বন্ধীয় মানুহো নাছিল আৰু ইংৰাজ-বিলাকে ইহুদীবিলাকক ভাল নেপায়। কিন্তু কেৱল দক্ষতা আৰু অধ্যৱসায়ৰ বলত তেওঁৰ বিৰুদ্ধে থকা বিৰূপ ধাৰণা গুচাই আগ শাৰীলৈ গৈছিল। তেওঁ উগ্ৰ সাম্ৰাজ্যবাদী আছিল আৰু তেৱেঁই ভিক্টোৰিয়াক ভাৰতবৰ্ষৰ সম্ৰাজ্ঞী কৰিছিল। গ্লেডষ্টোন ধনী প্ৰাচীন ইংৰাজ পৰিয়াল এটাৰ লোক আছিল। তেওঁ উদাৰনৈতিক দলৰ নেতা হৈছিল আৰু বহুতবাৰ প্ৰধানমন্ত্ৰী হৈছিল। সাম্ৰাজ্যবাদ আৰু বৈদেশিক নীতি সম্পৰ্কত গ্লেড্‌ষ্টোন আৰু ডিজৰেলিৰ মাজত কোনো প্ৰকাৰ ভেদ নাছিল। কিন্তু ডিজৰেলি তেওঁৰ সাম্ৰাজ্যবাদৰ বিষয়ত স্পষ্ট বক্তা আছিল; গ্লেডষ্টোন আছিল নিখুঁত ইংৰাজ, তেওঁ সুন্দৰ ভাষাৰে আৰু সাধু উদ্‌গনিৰে ইয়াক ঢাকি ৰাখিছিল আৰু তেওঁ এনে প্ৰমাণ কৰিবলৈ খোজা যেন দেখা গৈছিল যেন তেওঁ কৰা সকলো কামতে ঈশ্বৰে তেওঁৰ উপদেশক আছিল। তেওঁ বলকান দেশসমূহত তুৰ্কবিলাকৰ নিদাৰুণ অত্যাচাৰৰ বিৰুদ্ধে চলোৱা এটা ডাঙৰ আন্দোলনৰ নেতৃত্ব কৰিছিল আৰু ডিজৰেলিয়ে কেৱল বিৰোধিতা কৰিবৰ অৰ্থেই স্বাভাৱিকতে তুৰ্কবিলাকৰ পক্ষ সমৰ্থন কৰিছিল। প্ৰকৃততে তুৰ্কীবিলাকৰ আৰু বলকানত থকা বিভিন্ন জাতিৰ তেওঁলোকৰ প্ৰজাবিলাকৰো দোষ আছিল, উভয় পক্ষে পৰস্পৰৰ ওপৰত ভয়ঙ্কৰ ভাবে হত্যাকাণ্ড আৰু অত্যাচাৰ চলাইছিল।

গ্লেডষ্টোনে আয়াৰলেণ্ডৰ কাৰণে স্বায়ত্ত শাসনো ('হোমৰুল') সমৰ্থন কৰিছিল। তেওঁ কৃতকাৰ্য নহৈছিল আৰু ইংৰাজৰ বিৰোধিতা ইমান প্ৰবল হৈছিল যে তাৰ কাৰণে উদাৰনৈতিক দলটো ভাগি ইয়াৰ এভাগ ৰক্ষণশীলবিলাকৰ লগ লাগিছিল, এই ভাগটোৱে তেতিয়া 'ইউনিয়নিষ্ট' (একাত্মবাদী) নাম পাইছিল, কাৰণ তেওঁলোকে আয়াৰলেণ্ডৰ লগত একতা চলি থকা বাঞ্ছা কৰিছিল।

কিন্তু ইয়াৰ পাছৰ এখন চিঠিত এই বিষয়ে আৰু বেছি কথা আৰু ভিক্টোৰিয়াৰ যুগৰ আন কিছুমান ঘটনাৰ কথা মই তোমাক কোৱা উচিত হব।

১৩৬

ইংলেণ্ড পৃথিৱীক ধন ধাৰে দিয়া দেশ হ'ল

২৩ ফেব্ৰুৱাৰী, ১৯৩৩

ঊনবিংশ শতাব্দীত ইংলেণ্ডৰ যি সমৃদ্ধি হৈছিল, সি সেই দেশৰ উদ্যোগবিলাকৰ পৰা আৰু উপনিৱেশ আৰু অধীনস্থ ৰাজ্যবিলাকৰ শোষণৰ পৰা হৈছিল। বিশেষকৈ চাৰিবিধ উদ্যোগৰ পৰা সেই দেশৰ বাঢ়ি অহা সম্পত্তিবিলাক গোট খাইছিল, সেই কেইটাক 'বুনিয়াদী' উদ্যোগ বুলিব পাৰি। সেই কেইটা আছিল কপাহ, কয়লা, লো আৰু জাহাজ নিৰ্মাণ। এই কেইটাৰ উপৰিও, এই কেইটাৰ লগতে আন অসংখ্য বেলেগ বেলেগ বৃহৎ আৰু ক্ষুদ্ৰ উদ্যোগৰ সংবৰ্ধন হৈছিল। ডাঙৰ ডাঙৰ কাৰবাৰৰ কেন্দ্ৰ আৰু 'বেঙ্ক' চলোৱাৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হৈছিল। পৃথিৱীৰ প্ৰায় প্ৰত্যেকটো বন্দৰতে বৃটিছ মাল জাহাজ দেখা পোৱা হৈছিল, এই জাহাজবিলাকে অকল বৃটিছ মালকে কঢ়িওৱা নাছিল, আন উদ্যোগ প্ৰধান দেশবিলাকৰ উদ্যোগত উৎপাদিত মালবিলাকো কঢ়িয়াইছিল। লণ্ডনত থকা লইড কোম্পানীৰ বিৰাট বীমা অফিচটো পৃথিৱীৰ জাহাজ চলোৱা কাৰবাৰৰ কেন্দ্ৰ হৈছিল। এই উদ্যোগ আৰু কাৰবাৰবিলাকে পাৰ্লামেণ্টত আধিপত্য কৰিছিল।

সম্পত্তিৰ সোঁত দেশখনলৈ বৈছিল, আৰু উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীবিলাক ক্ৰমে বেছি ধনী হৈছিল; এই সম্পত্তিৰ অলপমান ভাগ মজুৰ শ্ৰেণীৰো হাতলৈ যোৱাত ই তেওঁলোকৰ জীৱিকা নিৰ্বাহৰ মান উন্নত কৰিছিল। ধনী মানুহবিলাকে যিবিলাক সম্পত্তি পাইছিল, সেই সকলোবিলাকেৰে কি কৰা হব? সেইবিলাক ব্যৱহাৰ নকৰাকৈ ৰাখিলে অবিবেচনাৰ কাম হব, সেই কাৰণে প্ৰত্যেকেই উদ্যোগ বঢ়াই তাৰ দ্বাৰা বেছি বস্তু উৎপন্ন কৰি বেছি লাভ কৰিবলৈ ব্যগ্ৰ হৈছিল। এই সম্পত্তিৰ ডাঙৰ এটা ভাগ ইংলেণ্ড আৰু স্কটলেণ্ডত নতুন কাৰখানা, ৰেলপথ আদি কামত লগোৱা হৈছিল। কিছুকালৰ পাছত যেতিয়া বৰ বেছি সংখ্যাৰ কাৰখানা স্থাপিত হৈছিল আৰু দেশখন সম্পূৰ্ণ উদ্যোগীকৃত হৈছিল, তেতিয়া প্ৰতিযোগিতা বেছি হোৱাৰ কাৰণে লাভৰ হাৰ স্বাভাৱিকতে কমিছিল। তেতিয়া ধন থকা পুঁজিবাদীবিলাকে দেশৰ বাহিৰত ধন প্ৰয়োগৰ বেছি লাভজনক ক্ষেত্ৰ বিচাৰিছিল আৰু তেওঁলোকে তাৰ কাৰণে প্ৰচুৰ সুযোগ পাইছিল। পৃথিৱীৰ

সকলো ভাগতে ৰেলপথ আৰু কাৰখানা নির্মাণ কৰা হৈছিল আৰু সাগৰৰ তলেদি বাতৰি পঠোৱা তাঁৰ আৰু টেলিগ্রাফৰ তাঁৰ বহুৱা হৈছিল। বৃটেইনৰ বাহি হোৱা ধন য়ুৰোপ, আমেৰিকা, আফ্রিকা আৰু বৃটিছৰ অধীনস্থ ৰাজ্যবিলাকত এনেবিলাক কামত অবিচ্ছিন্নভাৱে লগোৱা হৈছিল। আমেৰিকা যুক্তৰাজ্যত ধন ঘটাৰ উপায় প্রচুৰ থকাৰ কাৰণে সেই দেশে দ্রুত গতিৰে উন্নতি কৰিছিল আৰু তেওঁলোকৰ ৰেলপথ আদি কামবিলাকত বহুতো আমেৰিকাত আৰু বিশেষকৈ আর্জেণ্টাইনত বৃটিছৰ বিৰাট বিৰাট খেতিৰ পাম আছিল। কানাডা আৰু অষ্ট্রেলিয়া বৃটিছ মূলধনৰে সুসজ্জিত কৰা হৈছিল। চীনত আফুতীয়া স্বত্ববিলাকৰ যুদ্ধৰ বিষয়ে মই আগতে তোমাক অলপমান কৈছোঁ। ভাৰতবর্ষত অৱশ্যে বৃটিছৰ আধিপত্য আছিল আৰু ইয়াৰ ৰেলপথ আৰু আন আন কামৰ কাৰণে তেওঁলোকে নিজে স্থিৰ কৰা অতি চৰা চৰ্ত্তত এই দেশক ধন ধাৰে দিছিল।

এইদৰে ইংলেণ্ড পৃথিৱীৰ ধন ধাৰে দিয়া দেশ হৈছিল, আৰু লণ্ডন পৃথিৱীৰ ধনৰ বজাৰ হৈছিল। কিন্তু ইয়াৰ অর্থ এনে বুলি নেভাবিবা যে যেতিয়া ধন ধাৰে দিয়া হৈছিল, তেতিয়া সোণ বা ৰূপ বা নগদ ধনৰে পূৰ কৰা শকত শকত মোনা ইংলেণ্ডৰপৰা পঠিওৱা হৈছিল। আধুনিক কাৰবাৰ এনেকৈ চলোৱা নহয়, এনেকৈ চলাব লগা হোৱা হলে সকলো ফাললৈকে জোখাৰে সোণ আৰু ৰূপ নহলহেঁতেন। মূর্খ মানুহে সোণ আৰু ৰূপত বৰ বেছিকৈ প্রাধান্য দিয়ে। কিন্তু সেইবিলাক বিভিন্ন দেশত চলা ধনৰ মূল্যৰ পার্থক্য মিলোৱাৰ আৰু বস্তু প্রচলন কৰোৱাৰ উপায় মাথোন। মানুহে সেইবিলাক খাব নোৱাৰে, পিন্ধিব বা আন প্রকাৰে ব্যৱহাৰ কৰিব নোৱাৰে, অৱশ্যে অলঙ্কাৰ স্বৰূপে সেইবিলাক ব্যৱহাৰ কৰিব পাৰি, কিন্তু অলঙ্কাৰে কাকো প্রায় একো উপকাৰ নকৰে। যিবিলাক বস্তু ব্যৱহাৰ কৰিব পাৰি তেনে বস্তুত অধিকাৰ থকাতোহে প্রকৃত সম্পত্তি। সেই কাৰণে যেতিয়া ইংৰাজ নাইবা বৰং বৃটিছ পুঁজিপতিয়ে আগধন দিছিল, তাৰপৰা বুজা হৈছিল যে তেওঁলোকে বিদেশী উদ্যোগ এটাত নাইবা ৰেলপথ এটাত কোনো এটা পৰিমাণৰ ধন নিয়োগ কৰিছিল, কিন্তু নগদ ধনৰ সলনি বৃটিছ বস্তু পঠিওৱা সেইদৰে বৃটিছ যন্ত্র-পাতি নাইবা ৰেলপথ নির্মাণৰ সামগ্রী বিদেশলৈ পঠিওৱা হৈছিল। ই বৃটিছ উদ্যোগক সহায় কৰিছিল আৰু লগে লগে বৃটিছৰ ধন খুটুৱা শ্রেণীটোক প্রচুৰ লাভত তেওঁলোকৰ বাহি হোৱা নগদ ধনখিনি খটুৱাবলৈ সুযোগ দিছিল।

ধন ধাৰে দিয়াটো লাভজনক কাৰবাৰ; ইংলেণ্ডে এই ব্যৱসায় যিমান বেছিকৈ চলাইছিল, সেই দেশ সিমান বেছি ধনী হৈছিল। কাম নকৰাকৈ বহি থকা এটা বিৰাট শ্রেণীৰ সংবর্ধন হৈছিল, এই শ্রেণীটোৱে এই কাৰবাৰবৰপৰা পোৱা লাভ আৰু লাভাংশৰপৰাই সম্পূর্ণ জীৱন যাপন কৰিছিল। তেওঁলোকে একো কাম কৰিব বা উৎপাদন কৰিব নেলাগিছিল। তেওঁলোকৰ কোনো ৰেল-কোম্পানী বা চাহ-বাগিছা বা আন কাৰবাৰত অংশ আছিল আৰু তেওঁলোকে সদায় নিয়মমতে লাভাংশ পাইছিল। কাম নকৰাকৈ বহি থকা এই শ্রেণীটোৰ কৰ্মচাৰী বিষিয়েৰা,

ইটালী, চুইজাৰলেণ্ড আৰু বহুতো বাহুনীয় ঠাইত ইংৰাজ উপনিবেশ হৈছিল কিন্তু তেওঁলোকৰ অতি সৰহভাগ অৱশ্যে ইংলেণ্ডতে আছিল।

যিবিলাক দেশে ইংলেণ্ডৰপৰা ধন ধাৰে লৈছিল, সেই সকলোবিলাকে সেই ধনৰ সুদ নাইবা লাভাংশ কেনেকৈ আদায় কৰিছিল? তেওঁলোকেও সোণ বা ৰূপৰে সেইবিলাক আদায় কৰিব নোৱাৰিছিল। বছৰে বছৰে দিবলৈ তেওঁলোকৰ সোণ-ৰূপ জোখাৰে নাছিল। সেই কাৰণে তেওঁলোকে বস্তুৰ সেইবিলাক আদায় কৰিছিল, উদ্যোগত বস্তু উৎপন্ন কৰা বিষয়ত ইংলেণ্ড শ্ৰেষ্ঠ দেশ হৈ থকাৰ কাৰণে উদ্যোগত উৎপাদিত বস্তুৰে সেইবিলাক বৰ বেছিকৈ আদায় কৰা নহৈছিল, খাদ্য-সামগ্ৰী আৰু কেঁচা মালেৰেহে বেছিকৈ আদায় কৰা হৈছিল। তেওঁলোকে ধাৰ নিছিগা সোঁতেৰে গম, চাহ, কফি, মাংস, ফল, মদ, কপাহ, উল আদি ইংলেণ্ডলৈ পঠিয়াই আছিল।

দুখন দেশৰ মাজত বাণিজ্য বস্তু-বেহানিৰ বিনিময়ত হয়। এখন দেশে কিনি থকা আৰু আনখনে বেচি থকা সম্ভৱ নহয়। যদি এনে চেষ্টা কৰা হ'লহেঁতেন, তেনেহলে দাম সোণ আৰু বস্তুৰে আদায় কৰিব লাগিলহেঁতেন আৰু সোনকালে সোণ বা ৰূপ নাইকিয়া হ'লহেঁতেন নাইবা একপক্ষীয় বাণিজ্য আপোনা-আপুনি বন্ধ হ'লহেঁতেন। দুখন দেশৰ মাজত বাণিজ্যত বস্তুৰ বিনিময় হয়, এই বিনি-ময়টো আপেনা-আপুনি মিলে, কোনো কোনো সময়ত ই এখন দেশৰ অনুকূল হয়, আন কোনো সময়ত আনখনৰ অনুকূল হয়। অমি যদি ১৯শ শতাব্দীৰ ইংলেণ্ডৰ বাণিজ্যৰ বিষয়ে পৰীক্ষা কৰি চাওঁ তেনেহলে দেখা পাম যে সেই দেশে মুঠতে যিমান বস্তু বাহিৰলৈ পঠিয়াইছিল, তাতকৈ বেছি বস্তু পাইছিল; অৰ্থাৎ যদিও সেই দেশে বিৰাট পৰিমাণৰ বস্তু ৰপ্তানি কৰিছিল প্ৰকৃততে বেছি মূল্যৰ বস্তু আমদানি কৰিছিল, ইয়াৰ মাজত পাৰ্থক্য আছিল এই যে সেই দেশে উদ্যোগত উৎপাদিত সামগ্ৰী ৰপ্তানি আৰু বাইকৈ খাদ্য সামগ্ৰী আৰু কেঁচা মাল আমদানি কৰিছিল। সেইদৰে সেই দেশে দেখাত বিক্ৰি কৰাতকৈ বেছি বস্তু কিনিছিল, এইটো কাৰবাৰ চলোৱাৰ ভাল পদ্ধতি যেন দেখা নাযায়। কিন্তু প্ৰকৃততে অতিৰিক্ত আমদানিখিনি ধাৰে দিয়া ধনৰপৰা পোৱা লাভৰ সলনি পোৱা হৈছিল। এই লাভখিনি আছিল ধৰুৱা দেশবিলাকে আৰু ভাৰতবৰ্ষৰ দৰে অধীনস্থ ৰাজ্যবিলাকে আদায় কৰা কৰ।

ধন নিয়োগৰপৰা হোৱা সকলোখিনি লাভ ইংলেণ্ড নেপাইছিল। ইয়াৰ বহুত ভাগ ধৰুৱা দেশবিলাকতে ৰৈছিল আৰু সেইখিনি বৃটিছ পুঁজিপতিবিলাকে পুনৰ নিয়োগ কৰিছিল। সেইকাৰণে ইংলেণ্ডৰপৰা নতুনকৈ ধন বা বস্তু বাহিৰলৈ নপঠোৱাকৈয়ে বাহিৰত নিয়োগ কৰা বৃটিছ ধনৰ পৰিমাণ ক্ৰমে বাঢ়ি গৈছিল। ভাৰতবৰ্ষত ৰেলপথ, পানী যোৱা নলা আৰু অসংখ্য আন কামত বিৰাট পৰিমাণৰ বৃটিছ ধন নিয়োগ কৰাৰ কথা সঘনে আমাক গৌৰবাই কোৱা হয় আৰু এই কাৰণত ইংলেণ্ডৰ ওচৰত ভাৰতবৰ্ষৰ বিৰাট পৰিমাণৰ ধনৰ 'ধাৰ' [illegible] বুলি কোৱা হয়। ভাৰতবৰ্ষই ইয়াৰ বহুত দফাৰ সম্পৰ্কত আপত্তি কৰে, কিন্তু ইয়াত আমি সেই বিষয়ৰ আলোচনা কৰা অনাৱশ্যক; কিন্তু মন কৰিবলগীয়া কথা এই যে

বিৰাট পৰিমাণৰ ধনৰ এই নিয়োগবিলাকত ইংলেণ্ডৰ পৰা নতুনকৈ অহা মূলধন বেছি নাই। সেইবিলাক ভাৰতবৰ্ষতে কৰা লাভৰ ধনেৰে পুনৰ নিয়োগ। তোমাক আগতে কৈছোঁ যে পলাচী আৰু ক্লাইবৰ দিনত অতি শকত পৰিমাণৰ সোণ আৰু বহুমূলীয়া পদাৰ্থ স্বৰূপতে ভাৰতবৰ্ষৰপৰা ইংলেণ্ডলৈ নিয়া হৈছিল। তাৰ পাছত ভাৰতবৰ্ষৰ শোষণে বেলেগ আৰু কমকৈ দেখনিয়াৰ ৰূপ লৈছিল আৰু ইয়াৰপৰা পোৱা লাভৰ কিছুমান ভাগ এই দেশত নিয়োগ কৰা হৈছিল।

ইংলেণ্ডে বুজিব পাৰিছিল যে পৃথিৱী জোৰাকৈ ধন ধাৰে দিয়া ব্যৱসায়টো চলোৱাৰ একমাত্ৰ সম্ভৱপৰ উপায় আছিল সুদৰ আদায় বস্তুৰে লোৱা। মই তোমাক ওপৰত দেখুৱাইছোঁ যে সেই দেশে সোণেৰে আদায় দিয়াত টানি ধৰিব নোৱাৰিছিল। ইয়াৰ দুটা প্ৰধান ফল হৈছিল। ইংলেণ্ডে দেশৰ জনসংখ্যাক খুৱাবৰ কাৰণে বাহিৰৰপৰা সেই দেশলৈ খাদ্য সামগ্ৰী যাবলৈ দি সেই দেশৰ কৃষিকাৰ্যৰ ক্ষতি হবলৈ দিছিল। সেই দেশে বাহিৰত বেচিবৰ কাৰণে উদ্যোগত বস্তু উৎপাদন কৰাত বেছি জোৰ দিছিল আৰু দেশৰ খেতিয়কবিলাকৰ অৱস্থালৈ আওকাণ কৰিছিল। বাহিৰৰপৰা যেতিয়া সেই দেশে সস্তীয়া খাদ্য বস্তু পাইছিল, তেতিয়া তাক উৎপাদন কৰাৰ জঞ্জাল লোৱাৰ কি আৱশ্যক আছিল? উদ্যোগৰপৰা যেতিয়া সেই দেশে বেছি লাভ কৰিব পাৰিছিল, তেতিয়া কৃষিকাৰ্যৰ আহকাল কিয় লব? এইদৰে ইংলেণ্ড নিখুঁতভাৱে উদ্যোগ প্ৰধান দেশ হৈছিল, খাদ্যবস্তুৰ কাৰণে সেই দেশে বিদেশৰ ওচৰত নিৰ্ভৰ কৰিছিল।

দ্বিতীয় ফলটো আছিল এই যে ইংলেণ্ডে অবাধ বাণিজ্যৰ নীতি চলাইছিল, অৰ্থাৎ যিবিলাক বিদেশী বস্তু সেই দেশৰ বন্দৰলৈ গৈছিল, সেইবিলাকৰ ওপৰত একেবাৰে শুল্ক নলগাইছিল নাইবা অলপ শুল্ক লগাইছিল। সেই দেশ উদ্যোগ বিষয়ত প্ৰধান আছিল কাৰণে সেই দেশৰ উদ্যোগত উৎপাদিত বস্তুৰ সম্পৰ্কত বহু কাললৈকে প্ৰতিযোগিতাৰ ভয় অতি কম আছিল। এই অৱস্থাত বিদেশী বস্তুৰ ওপৰত শুল্ক লগোৱাৰ অৰ্থ হৈছিল যিবিলাক বিদেশী খাদ্য-দ্ৰব্য আৰু কেঁচা মাল সেই দেশলৈ গৈছিল, সেইবিলাকৰ ওপৰত শুল্ক লগোৱা। তেনে কৰিলে জনসাধাৰণৰ খাদ্য বস্তুৰ আৰু সেই দেশৰ নিজৰ উদ্যোগত উৎপাদিত বস্তুৰ দাম বঢ়োৱা হব। তদুপৰি ইংলেণ্ডে যদি বেছি শুল্ক লগাই বিদেশী বস্তু তালৈ যোৱা বন্ধ কৰে, তেনেহলে ধৰুৱা বিদেশবিলাকে ইংলেণ্ডক নিয়মমতে দিবলগীয়া ধন কেনেকৈ আদায় কৰিব? তেওঁলোকে মুঠেই বস্তুৰে আদায় কৰিব পাৰিছিল। এই কাৰণেই যি কালত আন সকলোবিলাক উদ্যোগ প্ৰধান দেশ আশ্ৰয়বাদী আছিল অৰ্থাৎ সেইবিলাক দেশলৈ যোৱা বিদেশী বস্তুৰ ওপৰত শুল্ক লগাই সেইবিলাক দেশৰ ক্ৰমে বাঢ়ি যোৱা উদ্যোগ সংৰক্ষণ কৰিছিল, তেতিয়া ইংলেণ্ডে অবাধ বাণিজ্যৰ নীতি চলাইছিল। যুক্তৰাজ্য, ফ্ৰান্স, জাৰ্মাণী, সকলোবিলাকে আশ্ৰয়বাদী আছিল।

কৃষিকাৰ্যলৈ আওকাণ কৰি উদ্যোগৰ উৎপাদনত বেছি জোৰ দিয়া, বিদেশৰ পৰা খাদ্যসামগ্ৰী পোৱা আৰু বিদেশৰপৰা নিয়মমতে পাই থকা ধনৰে আৰামত জীৱন চলোৱা ১৯শ শতাব্দীৰ ইংৰাজৰ নীতিটো লাভজনক আৰু সুখকৰ যেন

দেখা গৈছিল। কিন্তু ইয়াৰ বিপদো আছিল, সেই কথা এতিয়া ভালকৈ চকুত পৰিছে। নীতিটোৰ মূলত আছিল উদ্যোগ বিষয়ত ইংলেণ্ডৰ আধিপত্য আৰু সেই দেশৰ বিশাল বৈদেশিক বাণিজ্য। যদি এই আধিপত্য নাইকিয়া হয় আৰু তাৰ লগে লগে সেই দেশৰ বৈদেশিক বাণিজ্য টুটে, তেতিয়া কি হব? তেতিয়া সেই দেশে খাদ্য সামগ্ৰীৰ দাম কেনেকৈ দিব? আৰু যদিওবা সেই দেশে খাদ্য সামগ্ৰীৰ দাম দিব পাৰে, যদি পৰাক্ৰমী শত্ৰুৱে বাট ভেটা দিয়ে, তেনেহলে বিদেশৰ পৰা সেই খাদ্য সামগ্ৰী কেনেকৈ পাব? যোৱা বিশ্বযুদ্ধৰ কালত সেই দেশৰ মানুহ প্ৰায় অনাহাৰে আছিল, কাৰণ খাদ্য সামগ্ৰীৰ যোগান ব্যৱস্থা বিচ্ছিন্ন কৰা হৈছিল। ইয়াতকৈও বেছি ডাঙৰ বিপদ এইটোহে যে বিদেশৰ প্ৰতিযোগিতাৰ কাৰণে সেই দেশৰ বৈদেশিক বাণিজ্য ক্ৰমে বেছিকৈ টুটি গৈছে। ১৯শ শতাব্দীৰ অষ্ট দশকত যেতিয়া আমেৰিকাৰ যুক্তৰাজ্য আৰু জাৰ্মাণীয়ে বিদেশী বজাৰ বিচাৰিবলৈ ধৰিছিল, তেতিয়া প্ৰতিযোগিতাটো কোবাল হৈছিল। ক্ৰমে ক্ৰমে আন কিছুমান জাতি ঔদ্যোগীকৃত হৈ সেইবিলাকেও এই সন্ধানত যোগ দিছিল আৰু এতিয়া প্ৰায় সমগ্ৰ পৃথিৱী কিছু পৰিমাণে ঔদ্যোগীকৃত হৈছে। প্ৰত্যেক ধন দেশেই নিজক লগা সৰহভাগ বস্তু নিজে উৎপাদন কৰিবলৈ আৰু বিদেশী বস্তু অচল কৰিবলৈ চেষ্টা কৰিছে। ভাৰতবৰ্ষই বিদেশী কাপোৰ অচল কৰিবলৈ বিচাৰিছে। তেনেহলে লাঙ্কাছায়াৰ আৰু বৈদেশিক বাণিজ্যৰ ওপৰত নিৰ্ভৰ কৰি থকা আনবিলাক বৃটিছ উদ্যোগৰ কি গতি হব?

ইংলেণ্ডৰ কাৰণে এইবিলাক প্ৰশ্নৰ আৰু সেই দেশৰ কাৰণে আগলৈ কষ্টৰ দিন আছে যেন লাগিছে। সেই দেশে আনকি নিজৰ খোলাৰ ভিতৰলৈ সোমাই গৈ নিজৰ খাদ্য সামগ্ৰী আৰু প্ৰয়োজনীয় বস্তু নিজে উৎপাদন কৰি নিজৰ অৱস্থাত সন্তুষ্ট হৈ থকা জীৱন চলায়ো থাকিব নোৱাৰে। আধুনিক জগতখন ইমান বেছি জটিল যে এনে অৱস্থাত চলিব নোৱাৰে। আৰু আনকি দেশখনে যদি নিজক আন দেশৰপৰা বিচ্ছিন্ন কৰি ৰাখিব পাৰিলেহেঁতেন, তেতিয়া দেশৰ বাঢ়ি যোৱা জনসংখ্যাৰ কাৰণে যথেষ্ট খাদ্য সামগ্ৰী সেই দেশে উৎপাদন কৰিব পৰাটোও সন্দেহজনক। কিন্তু এইবিলাক বৰ্ত্তমান কালৰ প্ৰশ্ন, ১৯শ শতাব্দীৰ এইবিলাকৰ প্ৰাধান্য প্ৰায় নাছিল। সেই কাৰণে সেই কালত ইংলেণ্ডে তাৰ ভৱিষ্যৎ সম্পৰ্কত জুৱা খেলিছিল আৰু নিজৰ অবিচ্ছিন্ন আধিপত্যৰ ওপৰত সম্পূৰ্ণে নিৰ্ভৰ কৰিছিল। খেলাটো গুৰুত্বপূৰ্ণ আছিল আৰু বাজিও শকত পৰিমাণৰ আছিল—পৃথিৱীত প্ৰধান জাতি হোৱা নাইবা পতন হোৱা। সেই দেশৰ কাৰণে মধ্যবৰ্ত্তী স্তৰ নাছিল। কিন্তু ভিক্টোৰিয়াৰ যুগৰ মধ্যবিত্ত ইংৰাজৰ আত্মবিশ্বাসৰ বা মইনতালিৰ অভাৱ নাছিল। তেওঁলোকৰ দীঘলীয়া কালৰ সমৃদ্ধি আৰু কৃতকাৰ্যতাই উদ্যোগ আৰু কাৰবাৰত তেওঁলোকৰ শ্ৰেষ্ঠত্বই তেওঁলোকৰ মনত দৃঢ় বিশ্বাস জন্মাইছিল যে মানৱ জাতিৰ আন সকলোতকৈ তেওঁলোক শ্ৰেষ্ঠ আছিল। তেওঁলোকে সকলো বিদেশীকে ঘিনাইছিল। এচিয়া আৰু আফ্ৰিকাৰ মানুহবিলাক অকণ্যেই অনুন্নত আৰু পাশৱিক আছিল, মানৱ জাতিৰ অনুন্নত জাতিবিলাকক শাসন কৰি তেওঁলোকক উন্নত কৰাৰ যি জন্মগত প্ৰতিভা ইংৰাজবিলাকৰ আছিল, তাক প্ৰয়োগ কৰাৰ

সুবিধা দিবলৈকে সেই মানুহবিলাকক সৃষ্টি কৰা হৈছিল। আনকি য়ুৰোপৰ প্ৰধান ভূমিভাগৰ জাতিবিলাকো অজ্ঞ আৰু কুসংস্কাৰী বিদেশী আছিল। ইংৰাজবিলাক আছিল সভ্যতাৰ শীৰ্ষস্থানৰ নিৰ্বাচিত জাতি, য়ুৰোপৰ অধিপতি স্বৰূপে সেই মহাদেশৰ জয়যাত্ৰাৰ সন্মুখৰ ৰক্ষীবাহিনী, য়ুৰোপো আকৌ আছিল পৃথিৱীৰ অৱশিষ্ট ভাগৰ অধিপতি। বৃটিছ সাম্ৰাজ্যখন আধাআধি ঐশ্বৰিক প্ৰতিষ্ঠান আছিল, ই জাতিটোৰ শ্ৰেষ্ঠত্বৰ চূড়ান্ত মোহৰ মাৰিছিল। ত্ৰিশ বছৰৰ পূৰ্বে লৰ্ড কাৰ্জন ভাৰতবৰ্ষৰ ৰাজপ্ৰতিনিধি আছিল আৰু তেওঁৰ দিনৰ আটাইতকৈ বেছি সুদক্ষ ইংৰাজবিলাকৰ ভিতৰৰ এজন আছিল, তেওঁ লিখা কিতাপ এখন উৎসৰ্গা কৰিছিল "সেই সকলৈলে যি বিশ্বাস কৰে যে ঈশ্বৰৰ ব্যৱস্থাত পৃথিৱীয়ে এতিয়ালৈকে উপকাৰৰ যিবিলাক প্ৰভাৱ দেখিছে, বৃটিছ সাম্ৰাজ্য সেইবিলাকৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ প্ৰভাৱ।"

ভিক্টোৰিয়া যুগৰ ইংৰাজৰ বিষয়ে মই লিখা এই সকলোবিলাকেই ৰবং অস্বাভাৱিক আৰু অসাধাৰণ যেন লাগে, আৰু সম্ভৱতঃ তুমি ভাবিব পাৰা যে তেওঁলোকৰ বিষয়ে বেয়া কৈ মই খুহুতীয়া হবলৈ চেষ্টা কৰিছোঁ। আচৰিত হব লাগে যে কোন বিবেচনা কৰিব পৰা মানুহে এনে আচৰণ কৰিব পাৰে আৰু এনে কিমানকৰ অবাস্তৱ আৰু নিজক সাধু বুলি ভৰা মনোবৃত্তি মানুহৰ থাকিব পাৰে কিন্তু যিবিলাক কথাই জাতীয় সমষ্টিবিলাকৰ মিছা গৰ্ব বঢ়ায় আৰু যিবিলাক তেওঁলোকৰ অনুকূল হয়, তেনে প্ৰায় সকলো কথাকে তেওঁলোকে বিশ্বাস কৰে। ব্যক্তিয়ে তেওঁলোকৰ ওচৰ চুবুৰীয়াৰ প্ৰতি তেনে অমাৰ্জিত আৰু ইতৰ আচৰণ কৰাৰ কথা কেতিয়াও ভাবিব নোৱাৰে, কিন্তু জাতিবিলাকৰ এনে বিবেকৰ তাড়ণা নেথাকে। দুৰ্ভাগ্যক্ৰমে আমাৰ সকলোৰে প্ৰকৃতি তেনে আৰু আমি সকলোৱে ওকাইদাং মাৰি নিজৰ নিজৰ জাতিৰ গুণবিলাকৰ প্ৰশংসা কৰোঁ। ভিক্টোৰিয়া যুগৰ ইংৰাজবিলাক যিটো আহিৰ আছিল, তাৰ সৰুসুৰা পৰিৱৰ্তনেৰে তাক প্ৰায় সকলোতে দেখা যায়। য়ুৰোপৰ সকলোবিলাক জাতিৰে ইংৰাজবিলাকৰ লগত মিলা একোটা জাতীয় আহি আছে, ঠিক তেনেকৈয়ে আমেৰিকা আৰু এচিয়াতো আছে।

ঔদ্যোগিক পুঁজিবাদৰ সংবৰ্ধনৰ কাৰণে ইংলেণ্ড আৰু পশ্চিম য়ুৰোপৰ সমৃদ্ধি হৈছিল। এই পুঁজিবাদে লাভৰ অবিৰত অন্বেষণৰ যাত্ৰা আগুৱাই চলাই আছিল। কৃতকাৰ্যতা আৰু লাভ মাথোন আছিল মানুহৰ পূজা পোৱা দেৱতা, কাৰণ পুঁজিবাদৰ ধৰ্ম আৰু নৈতিকতাৰ লগত কোনো সম্পৰ্ক নাছিল। ই আছিল ব্যক্তি আৰু জাতিৰ মাজত সাংঘাতিক প্ৰতিযোগিতাৰ নীতি আৰু প্ৰতিযোগিতাত পিছ পৰি যোৱা আটাইতকৈ নিশকতীয়াবিলাকৰ কথা নভবাকৈ সেইবিলাকক তেনে অৱস্থাতে ৰখাৰ নীতি। ভিক্টোৰিয়া যুগৰ মানুহে ধৰ্ম বিষয়ত তেওঁলোকৰ বৰাই কৰিছিল। তেওঁলোকে প্ৰগতি আৰু বিজ্ঞানত বিশ্বাস কৰিছিল আৰু তেওঁলোকৰ কাৰবাৰ আৰু সাম্ৰাজ্য স্থাপনত কৃতকাৰ্যতাই তেওঁলোকক প্ৰমাণ কৰি দেখুৱাইছিল যে তেওঁলোক সংগ্ৰামত জিকি তিষ্ঠি থকা নিৰ্বাচিত জাতি আছিল। তাৰ্কইনে আগতে তেনেকৈ কোৱা নাছিলনে ? ধৰ্ম বিষয়ত তেওঁলোকৰ মহিমাময় আচৰণতে ধৰ্মলৈ বিৰাগহে আছিল। আৰ, এইচ, টনি নামে ইংৰাজ লিখকজনে ৰবং

তাক্ষকে এই অৱস্থাটো বৰ্ণনা কৰিছে। তেওঁ কৈছে যে ঈশ্বৰক পাৰ্থিৱ বিষয়বস্তুৰ পৰা আঁতৰত তেওঁক নিজৰ ঠাইত ৰখা হৈছিল। "পৃথিৱীৰ দৰে স্বৰ্গতো নিয়মিত ৰাজতন্ত্ৰ আছিল।" এইটোৱেই আছিল সমৃদ্ধিশালী, মধ্যবিত্তবিলাকৰ মত, কিন্তু তেওঁলোকে জনসাধাৰণক গিৰ্জাঘৰলৈ যোৱাত আৰু ধৰ্ম বিষয়ত উৎসাহ দিছিল এই আশাত যে ধৰ্মই তেওঁলোকক বিপ্লৱী ভাৱধাৰাৰ পৰা আঁতৰত ৰাখিব পাৰিব। ধৰ্ম বিষয়ৰ সহিষ্ণুতাই আন বিষয়ত সহিষ্ণুতাৰ কথা নুবুজাইছিল। যিবিলাক বিষয়ত সংখ্যা গৰিষ্ঠ মানুহে প্ৰাধান্য দিছিল সেইবিলাকত সহিষ্ণুতা নাছিল আৰু কোনো এটা সঙ্কটত পৰিলেই সকলো সহিষ্ণুতা নাইকিয়া হৈছিল। ভাৰতবৰ্ষত বৃটিছ চৰকাৰে তেওঁলোক ধৰ্ম বিষয়ত অত্যন্ত সহিষ্ণু আৰু এইটো তেওঁলোকৰ গুণ বুলি জাহিৰ কৰে। প্ৰকৃততে ধৰ্মত কি ঘটিছে তালৈ তেওঁলোকে অকণো ভ্ৰুক্ষেপ নকৰে। কিন্তু তেওঁলোকৰ ৰাজনীতি বা তেওঁলোকে কৰা যেই সেই কামৰ অলপমানো দোষ দেখুৱাই সমালোচনা কৰিলে তেওঁলোক সজাগ হয় আৰু তেতিয়া কোনেও তেওঁলোকক সহিষ্ণুতাৰ বদনাম দিব নোৱাৰে। সঙ্কটটো যিমান ডাঙৰ হয়, সহিষ্ণুতাৰ পতনো সিমানে বেছি হয়, যেতিয়া সঙ্কটটো যথেষ্ট ডাঙৰ হয়, তেতিয়া চৰকাৰে সহিষ্ণুতাৰ সকলোবিলাক ভাও কাটি কৰি প্ৰকাশ্যে আৰু নিৰ্লজ্জ সন্ত্ৰাসবাদ আনন্দৰে চলায়। বৰ্তমান কালত আমি ভাৰতবৰ্ষত এনে হোৱা দেখি আছোঁ। অলপ দিনৰ আগতে মই বাতৰি কাকতত পঢ়িছিলোঁ যে প্ৰায় চালুকীয়া অৱস্থাৰ ল'ৰা এটাই বৃটিছ বিষয়া কেইজনমানলৈ ভয় খুউৱা চিঠি লিখাৰ কাৰণে তাক আঠ বছৰৰ সশ্ৰম কাৰাদণ্ড দিয়া হৈছিল।

ঔদ্যোগিক পুঁজিবাদৰ সংবৰ্ধনে বহুতো পৰিবৰ্ত্তন আনিছিল। পুঁজিবাদ ক্ৰমে বেছিকৈ বৃহৎ পৰ্যায়ত চলিছিল; সৰু কাৰবাৰতকৈ ডাঙৰ কাৰবাৰত ই বেছিকৈ লাভজনক আৰু কাৰ্যক্ষম হৈছিল। সেই কাৰণে সকলোবিলাক উদ্যোগত আধিপত্য চলোৱা বিৰাট বিৰাট 'কম্বাইন' (বাণিজ্য চলোৱা কোম্পানিৰ সংঘ) আৰু 'ট্ৰাষ্ট' (বহুত কোম্পানি একেলগে চলোৱাৰ ব্যৱস্থা) প্ৰতিষ্ঠিত কৰা হৈছিল, আৰু এইবিলাকে ক্ষুদ্ৰ স্বাধীন উৎপাদনকাৰী আৰু কাৰখানাবিলাকৰ অস্তিত্ব লোপ পোৱাইছিল। এইবিলাকৰ প্ৰচলন হোৱাত ব্যক্তিৰ স্বাধীন কামত হস্তক্ষেপ নকৰা 'লেচা ফেৰ' নীতিৰ পুৰণি ভাৱবিলাক লোপ পাইছিল, কাৰণ ব্যক্তিগত প্ৰচেষ্টাৰ সম্ভাৱনা বা সুযোগ বৰ কম আছিল। পৰাক্ৰমী 'কম্বাইন' আৰু 'কৰ্পৰেছন' বিলাকে শাসন ব্যৱস্থাবিলাকত আধিপত্য কৰিছিল।

পুঁজিবাদৰ পৰা সাম্ৰাজ্যবাদৰ আন এটা বেছি ভয়ানক ৰূপৰ সৃষ্টি হৈছিল। ১৯শ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধত যেতিয়া ঔদ্যোগিক শক্তিবিলাকৰ মাজত প্ৰতিযোগিতা বেছি প্ৰবল হৈছিল তেতিয়া তেওঁলোকে বজাৰ আৰু কেঁচামালৰ কাৰণে কাৰ্যক্ষেত্ৰ বহলাবলৈ চাইছিল। পৃথিৱীৰ সকলো ভাগতে সাম্ৰাজ্যৰ কাৰণে ভয়ঙ্কৰ হেতা-ওপৰা লগোৱা যুদ্ধ হৈছিল। এচিয়াৰ ভাৰতবৰ্ষত, চীনত, দূৰ ভাৰতবৰ্ষত আৰু পাৰস্যত কি ঘটিছিল, সেই বিষয়ে মই তোমাক আগতে অলপ বিশদভাৱে কৈছোঁ। এই কালত য়ুৰোপৰ শক্তিবিলাকে আফ্ৰিকাৰ ওপৰত শগুণৰ দৰে পৰি মহাদেশখন

তেওঁলোকৰ মাজত ভগাই লৈছিল—উত্তৰফালে মিছৰ আৰু পুব, পশ্চিম আৰু দক্ষিণ ফালে বিৰাট আয়তনৰ ৰাজ্যবিলাক লৈছিল। ফ্ৰান্সয়ো ভাল লাভ হৈছিল ইটালীয়েও লুটৰ ভাগ লবলৈ বিচাৰিছিল, কিন্তু সকলোকে আচৰিত কৰি আবিচিনি-য়াই ইটালীক যুৰ দাঙিব নোৱাৰাকৈ পৰাজিত কৰিছিল। জাৰ্মাণীয়ে এটা ভাগ পাইছিল, কিন্তু সেই দেশ সন্তুষ্ট নহৈছিল। সকলোতে চিঞৰ-বাখৰ লগোৱা ভয় দেখুৱা আৰু ৰাজ্য অধিকাৰ কৰা সাম্ৰাজ্যবাদ অতি মাত্ৰাৰে চলিছিল। বৃটিছ সাম্ৰাজ্যবাদৰ প্ৰিয় কবি ৰুডিয়াৰ্ড কিপ্‌লিঙে ‘বগা মানুহৰ বোজা’ৰ গান ৰচনা কৰিছিল। ফৰাচীবিলাকে ‘সভ্যতাৰ দৌত্য’ৰ ক্ৰান্সক সভ্য কৰাৰ দৌত্যৰ কথা কৈছিল। জাৰ্মাণবিলাকেও অৱশ্যে তেওঁলোকৰ ‘কুলটুৰ’ (সংস্কৃতি) প্ৰচাৰ কৰিব লগা হৈছিল। এইদৰে এই সভ্যকাৰী, উদগতিকাৰী আৰু আন মানুহৰ বোজা বহনকাৰীবিলাক অসীম ত্যাগৰ উদ্যমৰে আহি গোমোঠা বৰণীয়া, পীত বৰণীয়া, আৰু ক’লা বৰণীয়া মানুহবিলাকৰ পিঠিৰ ওপৰত বহিছিল। আৰু কোনেও ক’লা বৰণীয়া মানুহৰ বোজাৰ গান ৰচনা নকৰিছিল।

এই অতি লোভী প্ৰতিদ্বন্দী সাম্ৰাজ্যবাদবিলাকৰ কাৰণে পৃথিৱীখন যথেষ্ট বহল নাছিল। বজাৰৰ কাৰণে ভয়ঙ্কৰ পুঁজিবাদী হেঁপাহে প্ৰত্যেকখন দেশক আগলৈ ঠেলি নি আছিল আৰু বহুতবাৰ ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজত যুদ্ধ লগাৰ ৰব সম্ভাবনা হৈছিল। কিন্তু স্বাৰ্থৰ প্ৰকৃত সংঘাত হৈছিল ইংৰাজৰ আৰু জাৰ্মাণীৰ উদ্যোগৰ মাজত। উদ্যোগ আৰু জাহাজ চলোৱা বিষয়ত জাৰ্মাণী ইংলেণ্ডৰ সমকক্ষ হৈ প্ৰত্যেকখন বজাৰতে ইংলেণ্ডৰ লগত ফেৰ মাৰিছিল। কিন্তু সেই দেশে দেখা পাইছিল যে পৃথিৱীৰ আটাইতকৈ বেছি ভাল ভাগবিলাক ইংলেণ্ডে আগতে অধিকাৰ কৰিলে। গৰ্বী আৰু দুঃসাহসী সেই দেশক আনবিলাক জাতিয়ে পিছু পেলাই থোৱাত বিৰক্ত হৈ সেইবিলাক জাতিৰ বিৰুদ্ধে ডাঙৰ যুদ্ধ এখন চলাবৰ কাৰণে সেই দেশ কঠোৰ পৰিশ্ৰম কৰি সাজু হৈছিল। সমগ্ৰ য়ুৰোপ সাজু হৈছিল, আৰু সৈন্যবাহিনী আৰু নৌবাহিনীবিলাক বাঢ়িছিল। বিভিন্ন দেশৰ মাজত মিত্ৰতা স্থাপন কৰা হৈছিল। তাৰ ফলত দুটা পৰস্পৰ বিৰোধী বিৰাট সশস্ত্ৰ বাহিনী মুখামুখি হোৱা যেন দেখা গৈছিল—জাৰ্মাণী, অষ্ট্ৰিয়া আৰু ইটালীৰ ত্ৰিপক্ষীয় মিত্ৰতা আৰু ফ্ৰান্স আৰু ৰুচিয়াৰ দ্বিপক্ষীয় মিত্ৰতা হৈছিল; ইংলেণ্ড গোপনে দ্বিপক্ষীয় মিত্ৰতাৰ লগত সংযুক্ত আছিল।

ইতিমধ্যে শতাব্দীটোৰ শেষত ইংলেণ্ডৰ নিজৰ এখন সৰু যুদ্ধ দক্ষিণ আফ্ৰিকাত হৈছিল। ট্ৰান্সভালৰ বুৱাৰবিলাকৰ গণৰাষ্ট্ৰত সোণ আৱিষ্কাৰ কৰাৰ ফলত ১৮৯৯ খ্ৰীঃত এই যুদ্ধ হৈছিল। তিনি বছৰ কাল বুৱাৰবিলাকে আচৰিত সাহস আৰু অধ্যৱসায়ৰে য়ুৰোপৰ শ্ৰেষ্ঠ শক্তিটোৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। তেওঁলোকক সম্পূৰ্ণ দমন কৰাত তেওঁলোকে পৰাজয় স্বীকাৰ কৰিব লগা হ’ল। কিন্তু অলপ দিনৰ পিছতে বৃটিছে (সেই কালত উদাৰনৈতিক দল ক্ষমতাত অধিষ্ঠিত আছিল) তেওঁলোকৰ অলপ দিনৰ আগৰ শত্ৰুবিলাকক সম্পূৰ্ণ স্বায়ত্ব শাসনৰ অধিকাৰ দি এটা সুবিবেচনাৰ আৰু উদাৰ কাৰ্য কৰিছিল। ইয়াৰ অলপ দিনৰ পাছত সমগ্ৰ দক্ষিণ আফ্ৰিকা বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত স্বাধীন ডমিনিয়ন হৈছিল।

১৩৭

আমেৰিকাত গৃহযুদ্ধ

২৭ ফেব্ৰুৱাৰী, ১৯৩৩

পুৰণি পৃথিৱীখনৰ সংঘৰ্ষ, ৰজা, বিপ্লৱ, ঘৃণাৰ কাম আৰু জাতীয়তাবাদ-বিলাকে আমাৰ বহুতো সময় ললে। এতিয়া আমি আটলাণ্টিক মহাসাগৰ পাৰ হৈ আমেৰিকাৰ নতুন পৃথিৱীখনলৈ গৈ ইউৰোপৰ হাতৰ টান মুঠিৰপৰা এৰাই গৈ কি অৱস্থাত আছিল তাক চোৱা যাওক। বিশেষকৈ যুক্তৰাজ্যই আমাৰ মন আকৃষ্ট কৰে। সামান্য আৰম্ভণিৰপৰা সেই ৰাজ্যবিলাকে বেৰানেপেৰাকৈ উন্নতি কৰি থাকি বৰ্তমান কালত পৃথিৱীৰ অৱস্থাৰ ওপৰত আধিপত্য কৰিছে যেন লাগে। বৰ্তমান কালত ইংলেণ্ডৰ শ্ৰেষ্ঠত্বৰ গৌৰৱ আগৰদৰে আৰু নাই; সেই দেশ এতিয়া পৃথিৱীক ধন ধাৰে দিয়া দেশ হৈ থকা নাই; কিন্তু ইউৰোপৰ আনবিলাক দেশৰ দৰে সেই দেশেও অশান্ত ধৰুৱা দেশ হৈ যুক্তৰাজ্যৰপৰা সদয় আৰু উদাৰ আচৰণ বিচাৰি আছে। ধন ধাৰে দিয়াৰ বাবটো আমেৰিকাৰ ওপৰত পৰিছে, সেই দেশলৈ সম্পত্তিৰ সোঁত বৈছে আৰু সেই দেশে আচৰিত সংখ্যাৰ কোটিপতিবিলাকৰ সৃষ্টি কৰিছে। কিন্তু প্ৰাচীন কালত মিডাচৰ হোৱাৰ দৰে সেই দেশৰ সোণ কৰা পৰশ-পাথৰে সেই দেশলৈ বেচি আনন্দ অনা নাই আৰু সেই দেশৰ কোটিপতিবিলাকৰ সত্বেও তাৰ জনসাধাৰণে অভাৱ আৰু দাৰিদ্ৰ্যৰ কষ্ট ভুগিছে।

সাগৰৰ পাৰৰ যি তেৰখন ৰাজ্যই ১৭৭৫ খ্ৰীঃত ইংলেণ্ডৰ লগত সম্পৰ্ক ছেদ কৰিছিল, সেই বিলাকৰ মুঠ লোকসংখ্যা চাৰি নিযুততকৈ বহুতো কম আছিল। বৰ্তমান কালত অকল নিউয়ৰ্ক নগৰখনতে তাৰ দুগুণ লোকসংখ্যা আছে আৰু সমগ্ৰ যুক্তৰাজ্যত বাৰ কোটি পঞ্চাশ লাখ লোকসংখ্যা আছে। এতিয়া যুক্তৰাজ্যত আৰু বহুতো ৰাজ্য আছে আৰু সেইবিলাক মহাদেশখনৰ এমূৰৰপৰা আন মূৰলৈ— প্ৰশান্ত মহাসাগৰলৈকে বিস্তৃত হৈ আছে। ঊনবিংশ শতাব্দীত অকল আয়তন আৰু লোকসংখ্যাতে নহয়, আধুনিক উদ্যোগ আৰু বৈদেশিক বাণিজ্য, সম্পত্তি আৰু প্ৰভাৱতো এই বিৰাট দেশখনৰ সংবৰ্ধন হোৱা দেখা গৈছিল। ইউৰোপৰপৰা এই ৰাজ্যবিলাকৰ বহুতো অসুবিধা আৰু বিপত্তি হৈছিল আৰু সেই মহাদেশৰ লগত কিছুমান যুদ্ধ আৰু সংকট হৈছিল। কিন্তু উত্তৰ কালৰ ৰাজ্যবিলাক আৰু

দক্ষিণফালৰ ৰাজ্যবিলাকৰ ৰাজত হোৱা ভুমুল আৰু ধ্বংসকাৰী গৃহযুদ্ধখন সেই ৰাজ্যবিলাকৰ কাৰণে আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ পৰীক্ষা হৈছিল।

আমেৰিকা স্বাধীন হোৱাৰ কেইবছৰমানৰ পিছত ফ্ৰান্সৰ বিপ্লৱটো হৈছিল আৰু তাৰ পাছতে নেপোলিয়নৰ যুদ্ধবিলাক হৈছিল। নেপোলিয়ন আৰু ইংলেণ্ড দুয়ো পৰস্পৰৰ বৈদেশিক বাণিজ্য নাশ কৰিবলৈ চেষ্টা কৰিছিল আৰু এই চেষ্টা চলাওঁতে যুক্তৰাজ্যৰ লগত সেই দুখন দেশৰ সংঘৰ্ষ হৈছিল। আমেৰিকাৰ সাগৰেদি চলোৱা বৈদেশিক বাণিজ্য সম্পূৰ্ণ অচল কৰা হৈছিল আৰু তাৰ বাবে ১৮১২ খ্ৰীঃত সেই ৰাজ্যবিলাকৰ ইংলেণ্ডৰ লগত আন এখন যুদ্ধ হৈছিল। দুবছৰ চলা এই যুদ্ধখনৰ ফল বিশেষ একো নহ'ল। এই যুদ্ধ চলি থকা কালতে এল্‌বাৰ্ট নেপোলিয়নক শেষ কৰাৰ পাছত যেতিয়া ইংলেণ্ডৰ আজৰি ওলাইছিল, তেতিয়া বৃটিছবিলাকে ৰাজধানী নগৰ ৱাছিংটন অধিকাৰ কৰিব পাৰিছিল আৰু তেওঁলোকে 'কংগ্ৰেছ'ৰ (আমেৰিকাৰ সংসদৰ) অধিবেশন বহা 'কেপিটল' নামৰ অট্টালিকাটো আৰু 'হোৱাইট হাউচ' নামৰ ৰাষ্ট্ৰপতিৰ বাসভৱনটোৰে সৈতে নগৰখনৰ সকলোবিলাক প্ৰধান ৰাজহুৱা অট্টালিকা পুৰি নষ্ট কৰিছিল। ইয়াৰ পাছত বৃটিছ বিলাকক পৰাজিত কৰা হৈছিল।

যুদ্ধৰ আগতেই দক্ষিণফালৰ বৃহৎ আয়তনৰ ৰাজ্য এখন যুক্তৰাষ্ট্ৰৰ লগ লগোৱা হৈছিল। এই ৰাজ্যখন আছিল পুৰণি ফৰাচী উপনিবেশ লুচিয়ানা। নেপোলিয়নে এই ৰাজ্যখন বৃটিছ নৌবহৰৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবলৈ সম্পূৰ্ণ অপাৰগ হৈ যুক্তৰাজ্যক বিক্ৰী কৰিছিল। কেইবছৰমানৰ পাছত ১৮১২ খ্ৰীঃত এইবাৰ স্পেনৰপৰা ফ্লৰিডা ৰাজ্যখন কিনি লৈ ৰাজ্যবিলাকৰ লগলৈ অনা হৈছিল আৰু ১৮৪৮ খ্ৰীঃত মেক্সিকোৰ লগত কৃতকাৰ্যতাৰে চলোৱা এখন যুদ্ধৰ ফলত কালিফোৰ্নিয়াৰে সৈতে দক্ষিণ-পশ্চিম ফালৰ বহুতো ৰাজ্য লগ লগোৱা হৈছিল। এই দক্ষিণ-পশ্চিম ভাগৰ বহুতো নগৰৰ নাম এতিয়াও স্পেনীয় হৈ আছে, আৰু এইবিলাকে মানুহক সেই ছোৱা কালৰ কথা সোঁৱৰায়, যেতিয়া স্পেনিয়াৰ্ডবিলাকে নাইবা স্পেনীয় ভাষা কোৱা মেক্সিকোবাসীবিলাকে তাত ৰাজত্ব কৰিছিল। বোলছবিৰ প্ৰাধান্য থকা ডাঙৰ নগৰ লচএঞ্জেলচৰ নাম আৰু চানফ্ৰান্সিস্কো নগৰৰ নাম সকলোৱে শুনিছে।

যি কালত য়ুৰোপত এটাৰ পাছত আনটোকৈ বিপ্লৱৰ চেষ্টা আৰু দমন কাৰ্য চলি আছিল, সেই কালত যুক্তৰাজ্য পশ্চিম ফাললৈ বিস্তাৰিত হৈ আছিল। য়ুৰোপৰ দমন কাৰ্যই সেই মহাদেশৰপৰা যুক্তৰাজ্যত বসতি কৰিবলৈ মানুহ উঠি যোৱা কামত সহায় কৰিছিল আৰু যুক্তৰাজ্যৰ অন্তৰ্ভুক্ত নোহোৱা বিৰাট ৰাজ্যবিলাকৰ আৰু তাত উচ্চ হাৰৰ মজুৰিৰ আখ্যানবিলাকে য়ুৰোপৰ দেশবিলাকৰ বহুত সংখ্যাৰ মানুহক আমেৰিকালৈ আকৃষ্ট কৰিছিল। জনসংখ্যা পশ্চিম ফাললৈ বিস্তৃত হোৱাৰ লগে লগে নতুন নতুন ৰাজ্য স্থাপিত কৰি সেইবিলাক যুক্তৰাজ্যৰ লগ লগোৱা হৈছিল।

আৰম্ভণিৰেপৰা উত্তৰ ফালৰ ৰাজ্যবিলাকৰ লগত দক্ষিণ ফালৰ ৰাজ্যবিলাকৰ

এটা গুৰুত্বপূৰ্ণ পাৰ্থক্য আছিল। উত্তৰ ফালৰ ৰাজ্যবিলাক উদ্যোগপ্ৰধান আছিল আৰু তাত নতুন বৃহৎ যন্ত্ৰবিলাকে দ্ৰুতগতিৰে বিস্তৃতি লাভ কৰিছিল, দক্ষিণফালে গোলামৰ শ্ৰমেৰে চলোৱা বিৰাট বিৰাট খেতিৰ পাম আছিল। দাসত্ব প্ৰথা আইন-সমত আছিল, কিন্তু উত্তৰফালে ই জনপ্ৰিয় নাছিল আৰু ইয়াৰ প্ৰয়োজনো তাত নাছিল। দক্ষিণ ফালে গোলামৰ শ্ৰমৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰা হৈছিল। গোলামবিলাক অৱশ্যে আফ্ৰিকাৰপৰা নিয়া নিগ্ৰো আছিল। শ্বেতকায় কোনোৱেই গোলাম নাছিল। 'স্বাধীনতা ঘোষণা' ই কৈছে যে 'সকলো মানুহ সমান', কিন্তু এই কথা বগা মানুহৰ সম্পৰ্কতহে প্ৰয়োগ কৰা হৈছিল, ক'লা মানুহৰ সম্পৰ্কত ইয়াক প্ৰয়োগ কৰা নহৈছিল।

আফ্ৰিকাৰপৰা কেনেকৈ এই নিগ্ৰোবিলাকক নিয়া হৈছিল, তাৰ আখ্যানটো অতি দুখ লগা। গোলামৰ বেপাৰ সপ্তদশ শতাব্দীৰ আৰম্ভণি ভাগতে আৰম্ভ হৈছিল আৰু ১৮৬৩ খ্ৰীঃলৈকে একেবাহে নিয়মীয়াকৈ গোলামৰ যোগান ধৰি থকা হৈছিল। প্ৰথমতে পশ্চিম আফ্ৰিকাৰ উপকূলেদি যোৱা বাণ্ কচিওৱা সৰু জাহাজ-বিলাকে বেৰিয়াই সহজতে পাৰিছিল, তেতিয়াই আফ্ৰিকাবাসীবিলাকক জাহাজত তুলি লৈ আমেৰিকালৈ নিছিল, পশ্চিম আফ্ৰিকাৰ উপকূলৰ এটা ভাগক আজি-কালিও 'গোলামৰ উপকূল' বোলা হয়। আফ্ৰিকাবাসীবিলাকৰ মাজত দাসত্ব প্ৰথা প্ৰায় নাছিল, যুদ্ধৈই যুদ্ধৰ বন্দী নাইবা ধৰুৱাবিলাকক গোলামৰ দৰে ব্যৱহাৰ কৰা হৈছিল। দেখা গৈছিল যে আফ্ৰিকাবাসীক এইদৰে আমেৰিকালৈ নি তেওঁ-লোকক গোলাম স্বৰূপে বিক্ৰী কৰাটো এটা বৰ লাভজনক কাৰবাৰ আছিল। গোলামৰ বেপাৰ বাঢ়িছিল আৰু প্ৰধানকৈ ইংৰাজ, স্পেনিছ আৰু পৰ্তুগীজ জাতিয়ে এই বেপাৰত ব্যৱসায় স্বৰূপে সাহায্য কৰিছিল। বিশেষ ধৰণৰ জাহাজ তৈয়াৰ কৰা হৈছিল, সেইবিলাকক গোলামৰ বেপাৰ চলোৱা জাহাজ বোলা হৈছিল, সেইবিলাকৰ দুখন 'ডেক'ৰ (মজিয়াৰ) মাজত 'গেলেৰি' (থাকপতা) আসনবিলাক আছিল। দুৰ্ভগীয়া নিগ্ৰোবিলাকক সেইবিলাকত পেলাই সকলোকে শিকলিৰে বন্ধা হৈছিল। প্ৰত্যেক হাল মতা-মাইকীক একেলগে সাঙুৰি বন্ধা হৈছিল। আটলাণ্টিক মহাসাগৰ পাৰ হোৱা জলযাত্ৰাত বহুত সপ্তাহ লাগিছিল। কোনো কোনো সময়ত কেইমাহমাহো লাগিছিল। শিকলিৰে সাঙুৰি বন্ধা এই নিগ্ৰোবিলাকে সিমানবিলাক সপ্তাহ আৰু মাহ সেই ঠেক 'গেলেৰি' বিলাকত পৰি আছিল আৰু প্ৰত্যেক জনক যিমান খিনি ঠাই দিয়া হৈছিল তাৰ এলেকা দীঘলে ৫॥ ফুট আৰু পথালিয়ে ১৬ ইঞ্চি আছিল।

গোলামৰ বেপাৰক মূল কৰি লিভাৰপুল এখন শ্ৰেষ্ঠ চহৰ হৈছিল। ১৭১৩ খ্ৰীঃতে ইউট্ৰেক্টৰ সন্ধিত ইংলেণ্ডে স্পেনৰপৰা আফ্ৰিকা আৰু স্পেনৰ অধীনত থকা আমেৰিকাৰ মাজত গোলামৰ বেপাৰ চলোৱা আহুতীয়া স্বত্বটো জোৰ কৰি লৈছিল। আনকি ইয়াৰ আগেয়েও ইংলেণ্ডে আমেৰিকাত থকা ইংৰাজৰ ৰাজ্য-বিলাকত গোলাম যোগাইছিল। এইদৰে অষ্টাদশ শতাব্দীত আফ্ৰিকাত আৰু আমেৰিকাৰ মাজত চলা গোলামৰ বেপাৰত ইংৰাজৰ একাধিপত্য স্থাপনৰ কাৰণে চেষ্টা কৰা হৈছিল। ১৭৩০ খ্ৰীঃত এই বেপাৰত লগোৱা লিভাৰপুলৰ


যুক্তরাষ্ট্রের সম্প্রসারণ
১৮৪৫-৪৮
১৮০৩
মিসৌরী
১৭৮৩
মূল রাষ্ট্রসমূহ
১৭৭৬
ওহিয়ো
মিসিসিপি
লোহিত নং
রায়োগ্রেণ্ড
১৮১৯
১৮৫৩
গৃহ যুদ্ধে বিচ্ছিন্ন রাষ্ট্রসমূহ এই ------
রেখার দক্ষিণে অবস্থিত

১৫ খন জাহাজ আছিল। এই সংখ্যাটো ক্ৰমে বাঢ়ি গৈ ১৭৯২ খ্ৰীঃত ১৩২ খন হৈছিল আৰু এই সকলোবিলাক জাহাজ লিভাৰপুলে গোলামৰ বেপাৰত লগাইছিল। শিল্প-বিপ্লৱৰ আগ ভাগত ইংলেণ্ডৰ লাঙ্কাছায়াৰত কপাহ সূতা কটা উদ্যোগত বৰ বেছি উন্নয়ন হৈছিল আৰু ইয়াৰ ফলত যুক্তৰাজ্যত বেছি গোলামৰ প্ৰয়োজন হৈছিল। কাৰণ লাঙ্কাছায়াৰৰ কল-বিলাকত ব্যৱহাৰ কৰা কপাহবিলাক আমেৰিকাৰ দক্ষিণ ফালৰ ৰাজ্যবিলাকত থকা কপাহ খেতিৰ বিৰাট পামবিলাকৰ পৰা গৈছিল। এই কপাহ খেতিৰ পামবিলাক দ্ৰুত গতিৰে বেছিকৈ বিস্তৃত হৈছিল আৰু আফ্ৰিকাৰ পৰা বেছিকৈ গোলাম নিয়া হৈছিল আৰু নিগ্ৰো পুহিবলৈ সকলো প্ৰকাৰৰ চেষ্টা চলোৱা হৈছিল। ১৭৯০ খ্ৰীঃত যুক্তৰাজ্যত ৬,৯৭,০০০ (ছয় লাখ সাতানৈবৈ হেজাৰ) গোলাম আছিল, ১৮৬১ খ্ৰীঃত এই সংখ্যাটো ৪০,০০,০০০(চল্লিশ লাখ) লৈ উঠিছিল।

১৯শ শতাব্দীৰ আৰম্ভণি ভাগত বৃটিছ পাৰ্লামেণ্টে দাসত্ব প্ৰথাৰ বিৰুদ্ধে কঠোৰ আইন কৰিছিল। ইংলেণ্ডক অনুকৰণ কৰি য়ুৰোপৰ আন আন দেশে আৰু আমেৰিকায়ো এনে আইন কৰিছিল। কিন্তু আনকি যেতিয়া গোলামৰ বেপাৰ এইদৰে আইন বিৰুদ্ধ কৰা হৈছিল, তেতিয়াও নিগ্ৰোবিলাকক আফ্ৰিকাৰপৰা আমেৰিকালৈ নিয়া হৈছিল পাৰ্থক্য হৈছিল মাথো এইখিনিয়ে তেওঁলোকৰ ভ্ৰমণৰ অৱস্থা আগতকৈ বহুত বেছি বেয়া হৈছিল। তেওঁলোকক প্ৰকাশ্যে নিব পৰা নহৈছিল, সেই কাৰণে তেওঁলোকক থাক পাতি টিলাকৈ লগোৱা তক্তাৰ ওপৰত তুলি মানুহৰ চকুত নপৰা ঠাইত লুকাই নিয়া হৈছিল। আমেৰিকাৰ লিখক এজনে আমাক কৈছে যে কোনো কোনো সময়ত "বৰফৰ ওপৰত চলোৱা 'টবগান' গাড়ীৰ ঠাহ খাই থকা আৰোহীবিলাকৰ দৰে ঠেলা হেঁচাত একোজন আন একোজনৰ কোলাত সোমাইছিল, একোজনৰ ভৰি দুখন আন একোজনৰ ভৰিৰ ওপৰত পৰিছিল।" এই সকলোবিলাকৰ ভয়ঙ্কৰ অৱস্থাটো সম্পূৰ্ণকৈ কল্পনা কৰা টান। অৱস্থা এনে কদৰ্য আছিল যে গোলাম কঢ়িওৱা জাহাজবিলাক চাৰি বা পাঁচবাৰ সাগৰত অহা যোৱা কৰাৰ পাছত পৰিত্যাগ কৰা হৈছিল। কিন্তু লাভ বিৰাট হৈছিল আৰু ১৮শ শতাব্দীৰ শেষত আৰু ১৯শ শতাব্দীৰ আৰম্ভণি ভাগত এই বেপাৰ যেতিয়া অতি বেছিকৈ চলিছিল, তেতিয়া আফ্ৰিকাৰ 'শ্লেভ-কোষ্ট' ৰ (গোলামৰ উপকূলৰ) পৰা বছৰি ১,০০,০০০(এক লাখ) গোলামলৈকে নিয়া হৈছিল। আৰু মনত ৰাখিবা যে এই সংখ্যাৰ গোলাম লৈ যোৱাই বুজাইছিল যে নিগ্ৰো-বিলাকক ধৰিবলৈ চলোৱা আক্ৰমণত তাতকৈ বহুত বেছি সংখ্যক বধ কৰা হৈছিল।

১৯শ শতাব্দীৰ আৰম্ভণি ভাগত নাইবা তাৰ ওচৰৰ এটা কালত সকলোবিলাক প্ৰধান দেশে এই বেপাৰটো আইন বিৰুদ্ধ কৰিছিল। আনকি যুক্তৰাজ্যয়ো তেনে কৰিছিল। কিন্তু যদিও গোলামৰ বেপাৰ আইন বিৰুদ্ধ কৰা হৈছিল, তথাপি দাসত্ব প্ৰথাটো আমেৰিকাত আইনসঙ্গত হৈ চলি আছিল, তাৰ অৰ্থ পুৰণি গোলামবিলাক গোলাম হৈয়ে আছিল। আৰু দাসত্ব প্ৰথা আইনসঙ্গত হোৱাৰ কাৰণে নিষেধৰ সত্ত্বেও গোলামৰ পুৰণি বেপাৰটো চলি আছিল। যেতিয়া বৃটেনে দাসত্ব প্ৰথাৰ উচ্ছেদ কৰিছিল, তেতিয়া গোলামৰ বেপাৰৰ কাৰণে নিউইয়ৰ্ক প্ৰধান বন্দৰ হৈছিল।

যদিও শতাব্দীটোৰ মাজ ভাগলৈকে বহুত বছৰ নিউয়ৰ্ক এই বেপাৰৰ কেন্দ্ৰ আছিল, তথাপি উত্তৰ ফালৰ ৰাজ্যবিলাক দাসত্ব প্ৰথাৰ বিৰোধী আছিল। আন-ফালেদি দক্ষিণফালৰ ৰাজ্যবিলাকৰ বাগিছাবিলাকৰ কামৰ কাৰণে এই গোলাম-বিলকৰ আৱশ্যকতা আছিল। তাৰ কিছুমান ৰাজ্যই দাসত্ব-প্ৰথা বন্ধ কৰিছিল, অন্যবিলাকে ইয়াক ৰাখিছিল। নিগ্ৰোবিলাক সঘনে দাসত্ব-প্ৰথা চলা ৰাজ্য একো-খনৰপৰা এই প্ৰথা নচলা আন একোখন ৰাজ্যলৈ পলাই গৈছিল আৰু তেওঁ-লোকৰ কাৰণে বিবাদৰ সৃষ্টি হৈছিল।

উত্তৰফালৰ আৰু দক্ষিণফালৰ ৰাজ্যবিলাকৰ অৰ্থনৈতিক স্বাৰ্থ বেলেগ আছিল, আৰু ১৮৩০ খ্ৰীঃতে বাণিজ্যৰ বস্তুৰ ওপৰত লগোৱা কৰ আৰু আমদানি আৰু ৰপ্তানি শুল্ক সম্পৰ্কত বিবাদ হৈছিল। যুক্তৰাজ্যৰ লগ এৰাৰ ভয় দেখুৱা হৈছিল। ৰাজ্যবিলাক নিজৰ নিজৰ অধিকাৰ সম্পৰ্কত অত্যন্ত সজাগ আছিল আৰু সেইবিলাকে যুক্তৰাজ্যৰ চৰকাৰৰ অনুচিত হস্তক্ষেপ ভাল নেপাইছিল। দেশখনত দুটা দলৰ উদ্ভৱ হৈছিল, এটা দলে ৰাজ্যবিলাকৰ একাধিপত্য সমৰ্থন কৰিছিল, আনদলে সবল কেন্দ্ৰীয় শাসন ব্যৱস্থা বিচাৰিছিল। এই সকলো-বিলাক অমিলতাৰ কথাই উত্তৰ ফালৰ ৰাজ্যবিলাকক দক্ষিণফালৰ ৰাজ্যবিলাকতকৈ বেছি বেলেগ কৰিছিল আৰু যেতিয়াই যুক্তৰাজ্যত নতুন ৰাজ্য লগ লগোৱা হৈছিল, সেই ৰাজ্যবিলাকে কোনটো দল সমৰ্থন কৰিব, সেই প্ৰশ্নটো উঠিছিল। কোনটো দল সংখ্যাগৰিষ্ঠ হব। য়ুৰোপৰপৰা উত্তৰফাললৈ মানুহ বসতি কৰিবলৈ উঠি যোৱাৰ কাৰণে তাৰ লোকসংখ্যা দ্ৰুতগতিৰে বাঢ়িছিল, সেই কাৰণে দক্ষিণ ফালৰ মানুহে ভয় কৰিছিল যে শীঘ্ৰে উত্তৰ ফালৰ জনসংখ্যাই তেওঁলোকক তল পেলাব আৰু প্ৰত্যেক প্ৰশ্নতে বেছি ভোটেৰে তেওঁলোকক পৰাজিত কৰিব। সেই কাৰণে উত্তৰ ভাগ আৰু দক্ষিণ ভাগৰ মাজত বিৰোধ ভাব বাঢ়িছিল।

ইতিমধ্যে উত্তৰ ভাগত দাসত্ব প্ৰথা সম্পূৰ্ণ বন্ধ কৰিবৰ কাৰণে চলোৱা আন্দো-লন এটা প্ৰবল হৈছিল। যিবিলাকে ইয়াক সমৰ্থন কৰিছিল, তেওঁলোকক 'বন্দকাৰ' বোলা হৈছিল আৰু উইলিয়ম লইড্ গেৰিচন তেওঁলোকৰ প্ৰধান নেতা আছিল। ১৮৩১ খ্ৰীঃত গেৰিচনে তেওঁৰ দাসত্ব প্ৰথাৰ বিৰুদ্ধে আন্দোলন সমৰ্থনৰ অৰ্থে 'লিবাৰেটৰ' (মুক্তিকাৰী) নামে এখন বাতৰি কাকত প্ৰকাশ কৰিছিল। ইয়াৰ প্ৰথম সংখ্যাতে তেওঁ স্পষ্টকৈ দেখুৱাইছিল যে তেওঁ এই বিষয়ত আপোচ মীমাংসা কৰিবলৈ ওলোৱা নাছিল আৰু তেওঁ এই বিষয়ত নিৰ্জু নহব। সেই সংখ্যাৰ তেওঁৰ কেইটামান বাক্য প্ৰখ্যাত হৈছে। সেই বাক্য কেইটা মই ইয়াত তোমাৰ কাৰণে উদ্ধৃত কৰোঁ। তেওঁ কৈছিল : "মই সত্যৰ দৰে কঠোৰ আৰু ন্যায়ৰ দৰে অনৰ অচৰ হম। মই এই বিষয়ে সংযমেৰে চিন্তা কৰিবলৈ, কথাৰে বা লিখিবলৈ ইচ্ছা নকৰোঁ। নহয়! নহয়! মানুহৰ এজনৰ ঘৰত জুই লাগিলে তেওঁক আপোনালোকে সংযতভাৱে বিপদৰ জাননী দিবলৈ কব পাৰে, তেওঁৰ স্ত্ৰৈণীয়েকৰ ওপৰত বলাৎকাৰ কৰা মানুহটোৰ হাতৰপৰা স্ত্ৰৈণীয়েকক সংযতভাৱে ৰক্ষা কৰিবলৈ তেওঁক ক'ব পাৰে; কোনো মাকৰ কেচুৱাটো জুইত পৰিলে

মাকৰ ধীৰে ধীৰে কেছুৱাটো জুইৰপৰা তুলি আনিবলৈ কম পাৰে : কিন্তু বৰ্তমানৰ কাৰণটোৰ দৰে কাৰণ এটাত সংযম প্ৰয়োগ কৰিবলৈ আৰু পাঁচিতাৰ বেক টানি নধৰিব। মই দৃঢ়প্ৰতিজ্ঞ, মই পাক লগোৱা কথা কবলৈ ইচ্ছা নকৰোঁ, মই ক্ষমা কৰিবলৈ ইচ্ছা নকৰোঁ, মই এক ইঞ্চিও পিছু হুহঁকিবলৈ ইচ্ছা নকৰোঁ, আৰু মই মোৰ বক্তব্য জগতক শুনামেই।"

পিছে এনে সাহসী মনোবৃত্তি অতি কম সংখ্যক মানুহৰ মাজত আবদ্ধ আছিল। যিবিলাক মানুহ দাসত্ব প্ৰথাৰ বিৰোধী, তেওঁলোকৰ সৰহভাগেই য'ত এই প্ৰথা প্ৰচলিত আছিল তাত হস্তক্ষেপ কৰিব নুখুজিছিল। তথাপি উত্তৰ ভাগ আৰু দক্ষিণ ভাগৰ মাজত বিৰোধী ভাব প্ৰবল হৈছিল, কাৰণ যিবিলাক বিভিন্ন অৰ্থ-নৈতিক স্বাৰ্থৰ, বিশেষকৈ বাণিজ্যৰ বস্তুৰ ওপৰত লগোৱা কৰৰ সম্পৰ্কত সংঘৰ্ষ হৈছিল, সেইবিলাকৰ কাৰণে সেই বিৰোধ ভাব হৈছিল।

১৮৬০ খ্ৰীঃত আব্ৰাহাম লিংকন যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হৈছিল আৰু তেওঁৰ নিৰ্বাচনটো দক্ষিণ ভাগৰ কাৰণে পৃথক হোৱাৰ ইঙ্গিত হৈছিল। তেওঁ দাসত্ব প্ৰথাৰ বিৰোধী আছিল, তথাপি তেওঁ স্পষ্টকৈ কৈছিল যে য'ত ই প্ৰচলিত আছিল, তাত হস্তক্ষেপ কৰা নহব। তেওঁ নতুন ৰাজ্যবিলাকত ইয়াৰ বিস্তৃতি হবলৈ নাইবা আইনসঙ্গত কৰিবলৈ দিবলৈ মান্তি নহৈছিল। দক্ষিণভাগ তেওঁৰ আশ্বাসত সন্তুষ্ট নহৈছিল, আৰু এখনৰ পাছত আনখনকৈ ৰাজ্য যুক্তৰাজ্যৰপৰা পৃথক হৈ গৈছিল। যুক্তৰাজ্য ভাগ ভাগ হৈছিল। নতুন ৰাষ্ট্ৰপতিজন এনে ভয়ঙ্কৰ অৱস্থাৰ সন্মুখীন হৈছিল। দক্ষিণ ভাগক মান্তি কৰাই এই ভাঙনটো বাৰণ কৰিবলৈ তেওঁ আন এটা চেষ্টা কৰিছিল। দাসত্ব প্ৰথা চলাই থাকিবলৈ দিবলৈ তেওঁ সেই ৰাজ্যবিলাকক সকলো প্ৰকাৰৰ আশ্বাস দিছিল ; আনকি তেওঁ কৈছিল যে ইয়াক (য'ত ই প্ৰচলিত আছিল) সংবিধানৰ এটা ভাগ কৰি ইয়াৰ স্থায়ীত্ব দিবলৈকো তেওঁ সাজু আছিল। প্ৰকৃততে শান্তিৰ অৰ্থে তেওঁ যিমান দূৰলৈকে যাব লাগিছিল, সিমান দূৰলৈকে যাবলৈ সাজু আছিল। কিন্তু এটা কথাত তেওঁ মান্তি নহৈছিল আৰু সেই কথাটো আছিল যুক্তৰাজ্যখনৰ ভাঙন। কোনো ৰাজ্যৰ যুক্তৰাজ্যৰপৰা পৃথক হৈ যোৱাৰ অধিকাৰৰ কথা তেওঁ সম্পূৰ্ণ অস্বীকাৰ কৰিছিল।

লিংকনৰ গৃহযুদ্ধ নিবাৰণ কৰাৰ চেষ্টা বিফল হ'ল। দক্ষিণ ভাগে পৃথক হৈ যাবলৈ সিদ্ধান্ত কৰিছিল, আৰু এঘাৰখন ৰাজ্যই এই সিদ্ধান্ত কৰিছিল, লগতে কেইখনমান সীমান্ত ৰাজ্যই ইয়াৰ প্ৰতি সহানুভূতি দেখুৱাইছিল। পৃথক হৈ যোৱা ৰাজ্যবিলাকে 'সংঘবদ্ধ ৰাজ্যসমূহ' নাম লৈ জেফাৰচন ডেভিডক তেওঁ-লোকৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰিছিল। ১৮৬১ খ্ৰীঃৰ এপ্ৰিল মাহত গৃহযুদ্ধৰ আৰম্ভ হয় আৰু চাৰিটা ভুকুলা কৰা বছৰ ই চলি আছিল। এই কালছোৱাত বহুতো ভাই-ককায়ে আপোন ভাই-ককাইৰ বিৰুদ্ধে, বহুতো বন্ধুৱে বন্ধুৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। যুদ্ধ চলি থকা কালত বিৰাট বিৰাট সৈন্যবাহিনীৰ উদ্ভৱ হৈছিল। উত্তৰ ভাগতো বহুতো সুবিধা আছিল, ইয়াৰ লোকসংখ্যা আৰু সম্পত্তি বেছি

আছিল। উদ্যোগত উৎপাদনকাৰী আৰু ঔদ্যোগিক অঞ্চল হোৱাৰ কাৰণে ইয়াৰ সম্পত্তি বহুত বেছি আছিল আৰু ইয়াত বেছি ৰেলপথ আছিল। কিন্তু দক্ষিণ ভাগত বেছি সুদক্ষ সৈন্য আৰু সেনাপতি আছিল, বিশেষকৈ সেনাপতি লি আছিল আৰু প্ৰথম অৱস্থাত সকলোবিলাক জয় দক্ষিণ ভাগৰ হৈছিল। কিন্তু শেহান্তৰত দক্ষিণ ভাগ ভাগৰি পৰিছিল। উত্তৰ ভাগৰ নৌ বাহিনীয়ে দক্ষিণ ভাগক য়ুৰোপৰ বজাৰবৰপৰা সম্পূৰ্ণ বিচ্ছিন্ন কৰিছিল, আৰু কপাহ আৰু ধপাত ৰপ্তানি কৰিব পৰা নহৈছিল। ই দক্ষিণ ভাগক পঙ্গু কৰিছিল, কিন্তু ইয়াৰ ফল লাঙ্কাচায়াৰত ভয়ঙ্কৰ হৈছিল। তাত কপাহ নোহোৱাৰ কাৰণে বহুতো কলৰ কাম বন্ধ হৈছিল। লাঙ্কাচায়াৰৰ বহুতো বনুৱা কামৰপৰা খেদা খোৱাত তেওঁ-লোকৰ ভীষণ বিপত্তি হৈছিল।

যুদ্ধখনৰ বিষয়ে ইংৰাজবিলাকৰ মত সাধাৰণভাৱে দক্ষিণ ভাগৰ ফাললৈ সহা-নুভূতিশীল আছিল নাইবা অন্ততঃ সম্পত্তিশালী শ্ৰেণীবিলাকৰ মত দক্ষিণ ভাগৰ অনুকূল আছিল। উগ্ৰপন্থীবিলাকে উত্তৰ ভাগক সমৰ্থন কৰিছিল।

দাসত্ব প্ৰথা গৃহ-যুদ্ধখনৰ প্ৰধান কাৰণ নাছিল। তোমাক আগতে কৈছোঁ যে লিংকনে শেষলৈকে আশ্বাস দিছিল যে দাসত্ব-প্ৰথা য'ত আছিল তাত তেওঁ ইয়াক মানিব। আচল অশান্তিৰ উত্তৰ হৈছিল উত্তৰ ভাগ আৰু দক্ষিণ ভাগৰ মাজত থকা বিভিন্ন আৰু কিছু পৰিমাণে বিৰুদ্ধ অৰ্থনৈতিক স্বাৰ্থৰ কাৰণে আৰু অৱশেষত লিংকনে যুক্তৰাজ্যৰ সংৰক্ষণৰ কাৰণে যুদ্ধ কৰিছিল। আনকি যুদ্ধখন আৰম্ভ হোৱাৰ পাছুতো লিংকনে দাসত্ব প্ৰথাৰ বিৰুদ্ধে কোনো স্পষ্ট ঘোষণা নকৰিছিল, কাৰণ উত্তৰ ভাগৰ যিবিলাক মানুহ ইয়াৰ পক্ষপাতী আছিল, তেওঁ সিবিলাকক বিৰক্ত কৰিবলৈ ভয় কৰিছিল। যুদ্ধ চলি থকা কালত তেওঁ বেছি স্পষ্ট হৈছিল। তেওঁ প্ৰথমতে প্ৰস্তাব কৰিছিল যে 'কংগ্ৰেছে' (যুক্তৰাজ্যৰ সংসদে) গোলামৰ গৰাকীবিলাকক ক্ষতিপূৰণ দি গোলামবিলাকক মুক্ত কৰা উচিত। পিছত তেওঁ এই ক্ষতি পূৰণৰ ভাবটো বাদ দিছিল আৰু শেষত ১৮৬২ খ্ৰীঃৰ চেপ্টেম্বৰ মাহত তেওঁ 'দাসত্বৰপৰা মুক্তিৰ ঘোষণা-পত্ৰ' খন প্ৰচাৰ কৰিছিল, তাত ঘোষণা কৰা হৈছিল যে যিবিলাক ৰাজ্যই চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল, সেই সকলোবিলাক ৰাজ্যত থকা গোলামবিলাক ১৮৬৩ খ্ৰীঃৰ ১ জানুৱাৰীৰ দিনা আৰু তাৰ পাছত মুক্ত হব। এই ঘোষণা-পত্ৰখন প্ৰচাৰ কৰাৰ প্ৰধান কাৰণ আছিল সম্ভৱতঃ যুদ্ধত দক্ষিণ ভাগক দুৰ্বল কৰাৰ বাঞ্ছা। ইয়াৰ ফলত 4,00,000 (চাৰি লাখ) গোলামৰ মুক্তি হৈছিল আৰু নিঃসন্দেহে এনে আশা কৰা হৈছিল যে এই মানুহবিলাকে 'সংঘবদ্ধ ৰাজ্যসমূহ'ত অশান্তিৰ সৃষ্টি কৰিব।

১৮৬৫ খ্ৰীঃত দক্ষিণভাগ সম্পূৰ্ণ নিস্তেজ হোৱাত গৃহযুদ্ধখনৰ অন্ত পৰিল। সকলো সময়তে যুদ্ধ এটা ভয়ঙ্কৰ ঘটনা কিন্তু গৃহযুদ্ধ আৰু বেছি ভয়ঙ্কৰ হয়। চাৰি বছৰ চলা এই ভীষণ সংগ্ৰাম খনৰ বোজা আন সকলোতকৈ ৰাষ্ট্ৰপতি লিংকনৰ ওপৰত অতি বেছিকৈ পৰিছিল, সকলোবিলাক নিৰাশা আৰু বিপদৰ মাজেও চিৰন্তন চেষ্টা চলাই থাকিবলৈ কৰা তেওঁৰ দৃঢ় সংকল্পৰ কাৰণেই ৰাষ্ট্ৰক যুদ্ধৰ

তেনে ফল হৈছিল। তেওঁ অকল জয়লাভ কৰিবৰ বাবেহে নহয়, যিমান কমকৈ সম্ভৱ হৈছিল সিমান কম শত্ৰুতাৰ ভাবেৰে সেই জয় লাভ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল, যাতে যিখন যুক্তৰাজ্যৰ অৰ্থে তেওঁ যুদ্ধ কৰিছিল, সি কেৱল কাগজত যুক্তৰাজ্য নহৈ তাত অন্তৰৰ প্ৰকৃত ঐক্য হব পাৰে। সেই কাৰণে তেওঁ যুদ্ধত জয়লাভ কৰি পৰাজিত দক্ষিণ ভাগৰ প্ৰতি উদাৰ হবলৈ স্থিৰ কৰিছিল। কিন্তু কেইদিনমানৰ পাছতে আধা বলীয়া মানুহ এটাই তেওঁক গুলীয়াই বধ কৰিছিল। আব্ৰাহাম লিংকণ আমেৰিকাৰ শ্ৰেষ্ঠ বীৰসকলৰ ভিতৰত এজন আছিল। পৃথিবীৰ মহৎ লোকসকলৰ ভিতৰতো তেওঁ নিজৰ আসন প্ৰতিষ্ঠিত কৰিছে। তেওঁৰ জীৱনৰ আৰম্ভণবিলাক তেনেই সামান্য আছিল; বিদ্যালয়ৰ শিক্ষা তেওঁৰ অতি কম আছিল, তেওঁৰ যিখিনি শিক্ষা হৈছিল, তাৰ সৰহখিনি তেওঁৰ নিজৰ চেষ্টাৰ ফল, তথাপি তেওঁ এজন মহৎ ৰাজনীতিজ্ঞ আৰু বাগ্মী হব পাৰিছিল আৰু এটা অতি গুৰুত্বপূৰ্ণ সঙ্কটত তেওঁ নিজৰ দেশখন সুপথে চলাইছিল।

লিংকনৰ মৃত্যুৰ পিচত, তেওঁ দক্ষিণ ভাগৰ শ্বেতকায়বিলাকৰ প্ৰতি যিমান উদাৰ হ'লহেঁতেন, আমেৰিকাৰ 'কংগ্ৰেছ' (সংসদ) সিমান উদাৰ নহৈছিল। দক্ষিণ ভাগৰ এই শ্বেতকায়বিলাকক কিছুমান প্ৰকাৰে শাস্তি দিয়া হৈছিল আৰু তেওঁলোকৰ বহুতক ভোট দিয়াৰ অধিকাৰৰপৰা বঞ্চিত কৰা হৈছিল। আনফালেদি নিগ্ৰো-বিলাকক নাগৰিকৰ সম্পূৰ্ণ অধিকাৰ দিয়া হৈছিল আৰু এই কথাটো আমেৰিকাৰ সংবিধানৰ অন্তৰ্ভুক্ত কৰা হৈছিল। এই কথাটোও ঘোষণা কৰা হৈছিল যে কোনো ৰাজ্যই কোনো মানুহক তেওঁৰ জাতিবৰ্ণ নাইবা আগৰ দাসত্বৰ কাৰণে ভোটৰ অধিকাৰৰপৰা বঞ্চিত কৰিব নোৱাৰিব।

নিগ্ৰোবিলাক তাৰ পাছৰপৰা আইনমতে মুক্ত হৈছিল আৰু তেওঁলোকৰ ভোটৰ অধিকাৰ আছিল। কিন্তু এইবিলাকে তেওঁলোকৰ প্ৰায় একো উপকাৰ নকৰিছিল কাৰণ তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা একে হৈ আছিল। মুক্ত হোৱা সকলো নিগ্ৰোৰ মা-সম্পত্তি একো নাছিল আৰু তেওঁলোকৰ সম্পৰ্কত কি কৰা উচিত তাক জনাটো এটা সমস্যা হৈছিল। কিছুমান উত্তৰ কালৰ নগৰবিলাকলৈ উঠি গৈছিল, কিন্তু অতি সৰহ সংখ্যাৰ নিগ্ৰো আগেয়ে যত আছিল তাতে থাকিল আৰু তেওঁলোকে আগেৰে সদায় থকাৰ দৰে দক্ষিণভাগৰ শ্বেতকায় গৰাকী-বিলাকৰ অধীনত হৈয়ে থাকিল। তেওঁলোকে পুৰণি বাগিছাবিলাকত মজুৰি পোৱা বনুৱা হিচাপে কাম কৰিছিল আৰু তেওঁলোকক কামত লগোৱা শ্বেতকায়-বিলাকে যিমান মজুৰি দিবলৈ ভাল পাইছিল সিমানতে তেওঁলোকে কাম কৰিছিল। তদুপৰি নিগ্ৰোবিলাকক সকলো প্ৰকাৰে সন্ত্ৰাসবাদেৰে দমাই ৰাখিবৰ কাৰণে দক্ষিণ-ভাগৰ বগা মানুহবিলাক সংগঠিত হৈছিল। 'কুক্লুক্স ক্লান' নামৰ এটা অসা-ধাৰণ অৰ্দ্ধ গোপনীয় সংস্থা স্থাপন কৰা হৈছিল আৰু ইয়াৰ সভ্যবিলাকে মুখা পিন্ধি য'তে ত'তে গৈ নিগ্ৰোবিলাকক অত্যন্ত ভয় আনকি নিৰ্বাচনত ভোট দিবলৈ নিদিছিল।

যোৱা ৫০ বছৰৰ ভিতৰত নিগ্ৰোবিলাকে কিছু পৰিমাণে উন্নতি কৰিছে।

বহুতৰ নিজা মাটি-সম্পত্তি আছে আৰু তেওঁলোকৰ কিছুমান ভাল শিক্ষানুষ্ঠান আছে। কিন্তু এতিয়াও তেওঁলোক অতি সুনিশ্চিতভাৱে পৰাধীন জাতি। যুক্তৰাজ্যত তেওঁলোকৰ প্ৰায় ১,২০,০০,০০০ (এক কোটি বিশ লাখ) মানুহ আছে, তেওঁলোক মুঠ লোকসংখ্যাৰ প্ৰায় দহ ভাগৰ এভাগ। উত্তৰ ফালৰ কিছুমান অঞ্চলত দৰে য'ত তেওঁলোকৰ সংখ্যা কম, তাত তেওঁলোকক অসুবিধাত পেলোৱা নহয়, কিন্তু তেওঁলোকৰ সংখ্যা বেছি হোৱা মাত্ৰকে তেওঁলোকক কঠোৰভাৱে দমন কৰা হয় আৰু তেওঁলোকক ভাবিবলৈ বাধ্য কৰোৱা হয় যে তেওঁলোক পূৰণি কালৰ গোলামবিলাকতকৈ অলপমানহে ভাল। হোটেল, ৰেষ্টোৰাঁ, গীৰ্জা, কলেজ, পাৰ্ক, সাগৰৰ পাৰৰ বাজহুৱা গা-ধোৱা ঠাই, ট্ৰাম-গাড়ী, আনকি দোকান আদি সকলো ঠাইতে তেওঁলোকক বেলেগ কৰি বগা মানুহৰ লগৰপৰা আঁতৰত ৰখা হয়। ৰেলত তেওঁলোকে 'জিমক্ৰো কাৰ' (নিগ্ৰোৰ গাড়ী) নামৰ বিশেষ গাড়ীত ভ্ৰমণ কৰিব লাগে। শ্বেতকায় আৰু নিগ্ৰোৰ বিয়া আইনমতে নিষিদ্ধ কৰা হৈছে। বাস্তৱতে সকলোপ্ৰকাৰৰ অদ্ভুত আইন আছে। ভাৰ্জিনিয়া ৰাজ্যই মাথোন কেই বছৰ মানৰ আগত ১৯২৬ খ্ৰীঃত কৰা এটা আইনমতে একেখন মজিয়াত শ্বেতকায় আৰু বৰ্ণকায় মানুহ বহা নিষিদ্ধ কৰা হৈছিল।

কোনো কোনো সময়ত বগা মানুহ আৰু নিগ্ৰোৰ মাজত ভয়ঙ্কৰ জাতিগত কাজিয়া হয়। দক্ষিণফালে সঘনে 'লিঞ্চিং' নামৰ ঘটনাটো ঘটি থাকে—অৰ্থাৎ যেতিয়া এটা বিশৃঙ্খল জনতাই কোনো এজন নিগ্ৰোক কিবা দোষ কৰা বুলি সন্দেহ কৰে, তেতিয়া সেই জনতাই নিগ্ৰোজনক বধ কৰে। যোৱা কেইবছৰ ভিতৰত বগা মানুহৰ বিশৃঙ্খল জনতাই নিগ্ৰোক খুঁটিত বান্ধি পুৰি মৰাৰ অনেক ঘটনা ঘটিছে।

আমেৰিকাৰ সকলো ভাগতে আৰু বিশেষকৈ দক্ষিণফালৰ ৰাজ্যবিলাকত নিগ্ৰোবিলাকৰ অৱস্থা এতিয়াও অতি অসহ্য। সঘনে যেতিয়া বনুৱাৰ নাটনি পৰে, তেতিয়া দক্ষিণ ফালৰ কিছুমান ৰাজ্যত নিৰ্দোষ নিগ্ৰোবিলাকক সাজি উলিওৱা অভিযোগত অভিযুক্ত কৰি ফাটেকত দিয়া হয় আৰু সেই ফাটেকিয়াল-বিলাকক শ্ৰম ব্যক্তিগত ঠিকাদাৰক ভাৰাত দিয়া হয়। এইটো যথেষ্ট পৰিমাণে বেয়া, কিন্তু বিবিধ্যাক চৰ্তত এইদৰে ভাৰা দিয়া হয়, সেইবিলাক ঘৃণনীয়। এই-বিলাকৰপৰা আমি বুজিব পাৰিছোঁ যে সকলো ফালৰপৰা বিবেচনা কৰি চালে আইনমতে পোৱা স্বাধীনতাৰ ফল বৰ বেছি নহয়।

তুমি হেৰিয়েট বিকাৰ ষ্টোৰ 'আঙ্কেল টম্‌ছ কেবিন' (টম্ খুড়াৰ জুপুৰি) নামৰ কিতাপখন পঢ়িছানে নাইবা তাৰ নাম শুনিছানে? এই কিতাপ-খনত দক্ষিণফালৰ ৰাজ্যবিলাকৰ পূৰণি কালৰ নিগ্ৰো গোলামবিলাকৰ বিষয়ে আছে আৰু ইয়াত তেওঁলোকৰ দুখ লগা কাহিনী কোৱা হৈছে। গৃহযুদ্ধৰ দহ বছৰৰ পূৰ্বে ই প্ৰকাশিত হৈছিল আৰু আমেৰিকাৰ মানুহক দাসত্ব প্ৰথাৰ বিৰুদ্ধে জগাই তোলাত ই গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

১৩৮

আমেৰিকাৰ অদৃশ্য সাম্ৰাজ্য

২৮ ফেব্ৰুৱাৰী, ১৯৩৩

গৃহযুদ্ধই আমেৰিকাৰ ভীষণভাৱে বেছি সংখ্যাৰ ডেকা মানুহৰ জীৱন নাশ কৰিছিল আৰু ই ধাৰৰ এটা গধুৰ বোজা দি থৈ গৈছিল। কিন্তু দেশখন সতেজ আৰু সবল আছিল আৰু ইয়াৰ সংবৰ্ধন হৈ আছিল। ইয়াৰ প্ৰাকৃতিক সম্পত্তি অতি বেছি আছিল, বিশেষকৈ খনিজ বস্তুত এই দেশ চহকী আছিল। যি তিনটা বস্তু আধুনিক উদ্যোগ আৰু সভ্যতাৰ মূলত আছে—কয়লা, লোহা আৰু পেট্ৰ'লিয়াম—সেই বস্তুকেইটা তাত প্ৰচুৰ পৰিমাণে আছিল। যথেষ্ট জল-শক্তি আছিল, তাৰপৰা বিজুলী শক্তি উৎপন্ন কৰিব পৰা হৈছিল; নায়েগ্ৰাৰ জলপ্ৰপাত ইয়াৰ এটা উদাহৰণ, ইয়াৰ কথা তোমাৰ মনত পৰিব। দেশখন বিশাল আছিল আৰু ইয়াৰ লোকসংখ্যা আপেক্ষিকভাৱে কম আছিল, আৰু সকলোৰে কাৰণে চলাফুৰা আৰু কামকাজৰ যথেষ্ট স্থান আছিল। এইদৰে উদ্যোগত উৎপাদনকাৰী আৰু উদ্যোগপ্ৰধান দেশ হবলৈ এই দেশত সকলোবিলাক সুযোগ আছিল, আৰু দ্ৰুত গতিৰে ই এনে হবলৈ ধৰিছিল। ১৯শ শতাব্দীৰ অষ্ট দশকৰ সময়ত আমেৰিকাৰ উদ্যোগে বৃটিছ উদ্যোগৰ লগত বিদেশৰ বজাৰত প্ৰতিযোগিতা চলাবলৈ ধৰিছিল। এশ বছৰ বৈদেশিক বাণিজ্যত বৃটিছে যি সহজ আধিপত্য কৰি আছিল আমেৰিকা আৰু জাৰ্মাণীয়ে তাৰ অন্ত পেলাইছিল।

আন দেশৰপৰা সেই দেশত বসতি কৰিবলৈ মানুহ লেঠেৰি নিচিগাকৈ গৈ আছিল। তেওঁলোকে জাৰ্মাণ, স্কেণ্ডিনেভিয়ান, আইৰিছ, ইটালীয়ান, ইহুদী, পোল আদি য়ুৰোপৰ সকলো জাতিৰ মানুহ আছিল, নিজৰ দেশত চলা সন্ত্ৰাসবাদৰ কাৰণে বহুতো মানুহ তালৈ যাবলৈ বাধ্য হৈছিল আৰু আন বহুত জীৱিকা আৰ্জনৰ বেছি ভাল অৱস্থা বিচাৰি তালৈ গৈছিল। অত্যন্ত ঘনবসতিপূৰ্ণ য়ুৰোপৰ জনসংখ্যাৰ অতিৰিক্ত ভাগৰ সোঁত তালৈ বৈছিল। তাত বিভিন্ন জাতিৰ, বিভিন্ন দেশৰ, বিভিন্ন ধৰ্মৰ বিশৃংখল সংমিশ্ৰণ হৈছিল। য়ুৰোপত আগেয়ে এইবিলাক সুকীয়া সুকীয়া হৈ আছিল, এইবিলাকৰ প্ৰত্যেকটো সমষ্টি নিজৰ ক্ষুদ্ৰ গণ্ডীৰ ভিতৰত থাকি আনবিলাক তেনে সমষ্টিৰ প্ৰতি ঘৃণা আৰু শত্ৰু ভাৱেৰে পৰিপূৰ্ণ

আছিল, ইয়াত নতুন এটা পৰিবেশত সেই সকলোবিলাক একেলগে থাকিব লগা হৈছিল, এই নতুন পৰিবেশত পুৰণি ঘৃণাৰ ভাববিলাকৰ মূল্য বেছি পৰিবেশ নোহোৱা যেন হৈছিল। বাধ্যতামূলক শিক্ষাৰ সকলোৰে কাৰণে একে পদ্ধতি এটাই তেওঁলোকৰ আগৰ জাতীয় সঙ্কীৰ্ণতা ক্ৰমে গুচাইছিল আৰু বিভিন্ন জাতিৰ বিশৃঙ্খল সংমিশ্ৰণ এটাৰ পৰা আমেৰিকান জাতিৰ চানেকীটোৰ সংবৰ্ধন হবলৈ ধৰিছিল। পুৰণি এংলো-চেক্সন গোষ্ঠীটোৱে তেতিয়াও নিজক অভিজাত শ্ৰেণী বুলি বিবেচনা কৰিছিল, তেওঁলোক সামাজিক নেতা আছিল। উত্তৰ য়ুৰোপৰ জাতিবিলাক তেওঁলোকৰ পাছতে হৈছিল, বৰ বেছি পাছত নহৈছিল। দক্ষিণ য়ুৰোপৰ মানুহবিলাকক, বিশেষকৈ ইটালীৰপৰা যোৱা মানুহবিলাকক উত্তৰ য়ুৰোপৰ মানুহবিলাকে ঘৃণাৰ চকুৰে চাইছিল আৰু তেওঁলোকক বৰং ঘৃণাৰ ভাবেৰে 'ডাগো' বুলিছিল। নিগ্ৰোবিলাক অৱশ্যে সম্পূৰ্ণ কাৰাৰি কাটি আছিল। তেওঁলোক জখলাটোৰ আটাইতকৈ তলৰ খাপত আছিল আৰু তেওঁলোকে শ্বেত-কায় কোনো জাতিৰ লগ নলৈছিল। পশ্চিম উপকূলত কিছুমান চীনা, জাপানী আৰু ভাৰতীয় মানুহ আছিল, যেতিয়া তাত বনুৱাৰ প্ৰয়োজন বেছি আছিল, তেতিয়া এই মানুহবিলাক তালৈ গৈছিল। এচিয়াৰ জাতিবিলাকো আনবিলাক জাতিৰপৰা বেলেগ হৈ আছিল।

ৰেলপথ আৰু টেলিগ্ৰাফ্ দেশৰ সকলো ভাগত বিস্তৃত হোৱাৰ ফলত এই বিশাল দেশখন একগোট হৈছিল। পূৰণি কালত যেতিয়া এটা উপকূলৰপৰা আন এটা উপকূললৈ ভ্ৰমণ কৰোঁতে কেইবা সপ্তাহ আৰু কেইবা মাহো লাগিছিল, তেতিয়া এনে সম্ভৱ নহ'লহেঁতেন। আমি আগতে জানিছোঁ যে অতীত কালত এচিয়া আৰু য়ুৰোপত বৃহৎ সাম্ৰাজ্য আছিল। কিন্তু যাতায়াত আৰু পৰিবহনৰ দুৰ্যোগৰ কাৰণে, সেইবিলাক ঘনিষ্ঠভাৱে একগোট কৰিব পৰা নহৈছিল। তেতিয়া সাম্ৰাজ্যৰ বিভিন্ন ভাগ স্বৰূপাৰ্থত স্বাধীন আছিল, সেইবিলাকে নিজৰ নিজৰ ভাবে স্বকীয়া জীৱন যাপন কৰিছিল। মুঠেই বিভিন্ন ভাগে সম্ৰাটজনৰ আধিপত্য স্বীকাৰ কৰিছিল নাইবা তেওঁক কৰ দিছিল। সেইবিলাক এজন সৰ্বাধিনায়কৰ অধীনত থকা বিভিন্ন দেশৰ বাদ্ধ নথকা সম্মিলন আছিল। তেওঁলোকৰ মাজত সাধাৰণ দৃষ্টিভঙ্গী নাছিল। কিন্তু যুক্তৰাজ্যত ৰেলপথ আৰু যাতায়াতৰ আন পদ্ধতিবিলাকৰ কাৰণে আৰু সকলোৰে একেধৰণৰ শিক্ষাৰ কাৰণে বিভিন্ন জাতি-বিলাকৰ মাজত সাধাৰণ দৃষ্টিভঙ্গী এটাৰ উন্নয়ন হৈছিল। জাতিবিলাক ক্ৰমে মিলি এক হৈ সাধাৰণ গোষ্ঠী এটাত পৰিণত হৈছিল। পদ্ধতিটো কোনোমতেই সম্পূৰ্ণ হোৱা নাই, ই এতিয়াও চলি আছে। এনে বিৰাট পৰ্যায়ত মিলনৰ আন দৃষ্টান্ত বুৰঞ্জীত নাই।

যুক্তৰাজ্যই য়ুৰোপৰ বিপৰ্যয়বিলাকৰপৰা আৰু য়ুৰোপৰ শক্তিবিলাকৰ ষড়যন্ত্ৰবিলাকৰপৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিছিল আৰু য়ুৰোপো তেওঁলোকৰ উত্তৰ দক্ষিণ দুয়ো ভাগৰপৰা আঁতৰি থকাটো তেওঁলোকে বিচাৰিছিল। মই তোমাক আগতে 'মনৰো নীতি'ৰ কথা কৈছোঁ, যেতিয়া য়ুৰোপৰ কেইটামান শক্তিয়ে 'পৱিত্ৰমিত্ৰজোট' ই সেইসব সাম্ৰাজ্যবাদৰ সংৰক্ষণৰ অৰ্থে দক্ষিণ আমেৰিকাত

হস্তক্ষেপ কৰিব খুজিছিল, তেতিয়া যুক্তৰাজ্যৰ ৰাষ্ট্ৰপতি মনৰোৱে এই নিয়মটো কৰিছিল। মনৰোৱে ঘোষণা কৰিছিল যে যুৰোপৰ কোনো শক্তিয়ে যদি আমেৰিকাৰ যেই কোনো ভাগত সশস্ত্ৰ হস্তক্ষেপ কৰিলে যুক্তৰাজ্যই তাক সহ্য কৰিব নোৱাৰিব। এই ঘোষণাই দক্ষিণ আমেৰিকাৰ নতুনকৈ হোৱা গণৰাষ্ট্ৰবোৰ যুৰোপৰ হাতৰপৰা ৰক্ষা কৰিছিল। এবাৰ ইয়াৰ কাৰণে ইংলেণ্ডৰ লগত যুদ্ধ হব লগা হৈছিল। কিন্তু আমেৰিকাই এতিয়ালৈকে এশ বছৰতকৈও অধিক কাল এই নীতি কৃতকাৰ্যতাৰে পালি আছে।

দক্ষিণ আমেৰিকা উত্তৰ আমেৰিকাতকৈ বৰ বেলেগ আছিল আৰু এশ বছৰে এই অমিলতা কমোৱা নাই। উত্তৰফালে কানাডা বেছিকৈ যুক্তৰাজ্যৰ নিচিনা হৈছিল, কিন্তু দক্ষিণফালৰ গণৰাষ্ট্ৰবিলাক তেনে হৈছিল। মই তোমাক আগতে এবাৰ কৈছোঁ যে দক্ষিণ আমেৰিকাৰ এই গণৰাষ্ট্ৰবিলাক আৰু উত্তৰ আমেৰিকাত থকা মেক্সিকোও লেটিন গণৰাষ্ট্ৰ। যুক্তৰাজ্য আৰু মেক্সিকোৰ সীমান্তই দুটা বেলেগ জাতি আৰু বেলেগ সংস্কৃতিক বিভক্ত কৰিছে। ইয়াৰ দক্ষিণফালে মধ্য আমেৰিকাৰ ঠেক ভূমিভাগৰ সিপাৰে আৰু দক্ষিণ আমেৰিকাৰ সমগ্ৰ বৃহৎ মহাদেশ-খনৰ সকলো ভাগৰ মানুহৰ ভাষা স্পেনিছ আৰু পৰ্তুগীজ। আচলতে স্পেনিছ ভাষা প্ৰধান, কাৰণ মোৰ বিশ্বাস ব্ৰাজিলত মাথোন পৰ্তুগীজ ভাষা চলে। দক্ষিণ আমেৰিকাৰ কাৰণেই বৰ্তমান কালত স্পেনিছ ভাষা পৃথিৱীৰ এটা প্ৰধান ভাষা। লেটিন আমেৰিকাই এতিয়াও সাংস্কৃতিক প্ৰেৰণাৰ কাৰণে স্পেনলৈ চায়। যুক্তৰাজ্য আৰু কানাডাত জাতিগত পাৰ্থক্যত যিমান মূল্য দিয়া হয়, তাত সিমান দিয়া নহয়। আদিম অধিবাসী ৰেড ইণ্ডিয়ানবিলাকৰ লগত আৰু কিছু পৰিমাণে নিগ্ৰোৰ লগত স্পেনিছ গোষ্ঠীৰ বিয়াৰ ফলত তাত এটা সংমিশ্ৰিত জাতিৰ উদ্ভৱ হৈছিল।

এশ বছৰৰ স্বাধীনতাৰ সত্বেও দক্ষিণফালৰ এই লেটিন গণৰাষ্ট্ৰবিলাকে মিলি-জুলি থাকিব খোজা নাই। সময়ে সময়ে সেইবিলাকত বিপ্লৱ আৰু সামৰিক একনায়কত্ববাদ হৈ থাকে আৰু সেইবিলাকৰ সদায় পৰিবৰ্ত্তন হৈ থকা ৰাজনীতি আৰু শাসন-ব্যৱস্থাৰ গতি বুজা সহজ নহয়। দক্ষিণ আমেৰিকাৰ প্ৰধান তিনিখন দেশ হৈছে আৰ্জেণ্টিনা, ব্ৰাজিল আৰু চিলি—সিহঁতৰ নামৰ প্ৰথম ইংৰাজী আখৰ-টোৰ মতে সিহঁতক এ, বি, চি দেশ বোলা হয়। উত্তৰ আমেৰিকাৰ মেক্সিকো এখন প্ৰধান লেটিন আমেৰিকান দেশ।

যুক্তৰাজ্যই মনৰো নীতিৰ বলত লেটিন আমেৰিকাত যুৰোপৰ হস্তক্ষেপত বাধা দিছিল। কিন্তু যেতিয়া তেওঁলোক সম্পত্তিশালী হৈছিল, তেতিয়া তেওঁলোকে বাহিৰত সম্প্ৰসাৰণৰ নতুন ক্ষেত্ৰ বিচাৰিবলৈ ধৰিছিল। স্বাভাৱিকতে লেটিন আমেৰিকাত প্ৰথমতে তেওঁলোকৰ চকু পৰিছিল। পুৰণি কালৰ সাম্ৰাজ্য স্থাপন পদ্ধতিৰে তেওঁলোকে বলেৰে এই দেশবিলাকৰ কোনো এখনকে অধিকাৰ কৰিবলৈ চেষ্টা নকৰিছিল। তেওঁলোকে তাৰ তেওঁলোকৰ বস্তু পঠিয়াই সেইবিলাক দেশৰ বজাৰ অধিকাৰ কৰিছিল। তদুপৰি তেওঁলোকে দক্ষিণ ভাগত ৰেলপথ, খনি

আৰু আন আন কাৰবাৰত তেওঁলোকৰ মূলধন লগাইছিল। তেওঁলোকে তাৰ চৰকাৰবিলাকক আৰু বিপ্লৱৰ সময়ত যুঁজ কৰা দলবিলাককো ধন ধাৰে দিছিল। 'তেওঁলোক' বোলোতে মই আমেৰিকাৰ পুঁজিপতিবিলাকক আৰু 'বেঙ্ক'ৰ মালিকবিলাকক বুজাইছোঁ; কিন্তু তেওঁলোকৰ পাছুত আৰু তেওঁলোকৰ সমৰ্থক স্বৰূপে আমেৰিকাৰ চৰকাৰ আছিল। কালক্ৰমে বেঙ্কৰ এই মালিকবিলাকে তেওঁলোকে ধাৰে দিয়া বা কাৰবাৰত লগোৱা ধনৰ যোগে দক্ষিণ আমেৰিকা আৰু মধ্য আমেৰিকাৰ সৰু সৰু ৰাজ্যৰ চৰকাৰবিলাকৰ ওপৰত আধিপত্য স্থাপন কৰিছিল। বেঙ্কৰ এই মালিকবিলাকে আনকি এদলক ধন বা অস্ত্ৰ-শস্ত্ৰ দি আৰু আন এদলক নিদি বিপ্লৱৰ সৃষ্টি কৰিব পাৰিছিল। বেঙ্কৰ মালিক আৰু পুঁজিপতি-বিলাকৰ পাছুত আছিল যুক্তৰাজ্যৰ পৰাক্ৰমী চৰকাৰ, এনে অৱস্থাত দক্ষিণ আমেৰিকাৰ সৰু আৰু দুৰ্বল দেশবিলাকে কি কৰিব পাৰিছিল? কোনো কোনো সময়ত যুক্তৰাজ্যই শৃঙ্খলা ৰক্ষাৰ অজুহাতত বাস্তৱতে ৰাজ্য এখনৰ এটা দলক সহায় কৰিবলৈ সৈন্যদল পঠিয়াইছিল।

এইদৰে আমেৰিকাৰ পুঁজিপতিবিলাকে দক্ষিণকালৰ সৰু দেশবিলাকৰ ওপৰত সম্পূৰ্ণ আধিপত্য লাভ কৰি তাত তেওঁলোকৰ বেঙ্ক, ৰেলপথ আৰু খনি চলাই তেওঁলোকৰ নিজৰ সুবিধাৰ কাৰণে সেইবিলাক দেশক শোষণ কৰিছিল। আনকি লেটিন আমেৰিকাৰ ডাঙৰ দেশবিলাকতো তেওঁলোকে কাৰবাৰত ধন লগাই, সেইবিলাক দেশৰ ধনৰ ওপৰত আধিপত্য লাভ কৰাৰ কাৰণে সেইবিলাকতো তেওঁলোকৰ গভীৰ প্ৰভাৱ হৈছিল। ইয়াৰ অৰ্থ এই যে যুক্তৰাজ্যই সেই দেশ-বিলাকৰ সকলো সম্পত্তি নাইবা তাৰ এটা ডাঙৰ ভাগ নিজৰ কৰিছিল। পিছে এই কথাটো লক্ষ্য কৰিবলগীয়া, কাৰণ ই নতুন ৰকমৰ সাম্ৰাজ্য, আধুনিক চানেকীৰ সাম্ৰাজ্য। ই অদৃশ্য আৰু অৰ্থনৈতিক আৰু বাহিৰত দেখদেখকৈ একো চিন প্ৰকাশ নকৰাকৈ ই শোষণ কৰে আৰু আধিপত্য চলায়। ৰাজনৈতিক আৰু আন্তৰ্জাতিক সম্পৰ্কত দক্ষিণ আমেৰিকাৰ গণৰাষ্ট্ৰবিলাক মুক্ত আৰু স্বাধীন। মান-চিত্ৰত সেইবিলাক বিৰাট বিৰাট দেশ আৰু সেইবিলাকত দেখুৱাবলৈ এনে একো নাই যে সেইবিলাক দেশ মুক্ত নহয়। তথাপি সেইবিলাকৰ অতি সৰহভাগ দেশত যুক্তৰাজ্যই সম্পূৰ্ণ আধিপত্য চলায়।

আমি বুৰঞ্জীৰ আভাস লওঁতে বিভিন্ন যুগত নানা প্ৰকাৰৰ সাম্ৰাজ্যবাদ দেখি-বলৈ পাইছোঁ। প্ৰথম আৰম্ভণিত এটা জাতিয়ে আন এটা জাতিৰ বিৰুদ্ধে চলোৱা যুদ্ধত জয় লাভ কৰাৰ অৰ্থ হৈছিল এই যে বিজয়ী জাতিটোৱে বিজিত জাতিটোৰ মাটি আৰু মানুহক যি কৰিবলৈ ভাল পাইছিল তাকে কৰিব পাৰিছিল। তেওঁলোকে মাটি, মানুহ দুয়ো বিধকে নিজৰ দেশৰ লগত চামিল কৰিছিল অৰ্থাৎ বিজিত জাতিৰ মানুহবিলাক গোলাম হৈছিল। এইটোৱেই সাধাৰণ ৰীতি আছিল। বাইবেলত মানুহে পঢ়িবলৈ পায় যে বেবিলনীয়াৰ অধিবাসীবিলাকে ইহুদীবিলাকক যুদ্ধত হৰুৱাইছিল কাৰণে ইহুদীবিলাকক সি বন্দীশালত ৰখা হৈছিল; তেনে আন বহুতো উদাহৰণ আছে। কালক্ৰমে ইয়াৰ ঠাইত আন এক প্ৰকাৰৰ সাম্ৰাজ্য-

দাস হৈছিল। তেতিয়া অকল মাটিখিনি অধিকাৰ কৰা হৈছিল, মানুহবিলাকক গোলাম কৰা নহৈছিল। নিঃসন্দেহে এই কথাটো আৱিষ্কাৰ কৰা হৈছিল যে কৰ লগাই আৰু শোষণৰ আন আন পদ্ধতিৰে ধন অৰ্জা বেছি সহজ। আমাৰ অতি সৰহভাগ মানুহে আজিকালিও ভাৰতবৰ্ষৰ বৃটিছৰ সাম্ৰাজ্যৰ দৰে সাম্ৰাজ্য-বিলাকক এনে প্ৰকাৰৰ সাম্ৰাজ্য বুলি ভাবোঁহক আৰু আমি ভাবোঁ যে বৃটিছবিলাকে যদি স্বৰূপতে ভাৰতবৰ্ষত ৰাজনৈতিক আধিপত্য নকৰিলেহেঁতেন, তেনেহলে ভাৰতবৰ্ষ মুক্ত হলহেঁতেন। কিন্তু এই প্ৰকাৰৰ সাম্ৰাজ্য ইতিমধ্যে অন্ত হবলৈ ধৰিছে আৰু তাৰ ঠাইত বেছি উন্নত আৰু বেছি নিখুঁত কৰা আন এবিধ সাম্ৰাজ্য হৈছে। আটাইতকৈ শেহতীয়া এই গঢ়ৰ সাম্ৰাজ্যই আনকি মাটিও অধিকাৰ নকৰে। ই মুঠেই দেশখনৰ সম্পত্তি নাইবা সম্পত্তি উৎপাদনৰ উপাদানবিলাক অধিকাৰ কৰে। এনেদৰে ই নিজৰ সুবিধাৰ কাৰণে দেশখনক সম্পূৰ্ণকৈ কামত লগাব পাৰে আৰু দেশখনত বহুতো পাৰমাণে আধিপত্য কৰিব পাৰে, সিকালে দেশখনক শাসন কৰি দমন কৰি ৰখাৰ কোনো দায়িত্ব তাৰ ই লব নেলাগে। তাৰ পৰিণামত অতি কম পৰিমাণৰ কষ্টতে দেশখনৰ মাটি আৰু তাত বাস কৰি থকা মানুহ দুয়োৰে ওপৰত অধিকাৰ আৰু আধিপত্য স্থাপন কৰা হয়।

এইদৰে কালক্ৰমে সাম্ৰাজ্যবাদ নিখুঁত হৈছে আৰু আধুনিক চানেকীৰ সাম্ৰাজ্য অদৃশ্য অৰ্থনৈতিক সাম্ৰাজ্য হৈছে। যেতিয়া দাসত্ব প্ৰথা উঠোৱা হৈছিল আৰু পিছত যেতিয়া সামন্তবাদৰ চানেকীৰ দাসত্বৰ অন্ত পৰিছিল, তেতিয়া ভবা হৈছিল যে মানুহ মুক্ত হব। পিছে সোনকালে দেখা গৈছিল যে যিবিলাক মানুহৰে ধনৰ শক্তিটোৰ ওপৰত আধিপত্য হৈছিল, তেওঁলোকে আনবিলাক মানুহক শোষণ কৰিছিল আৰু তেওঁলোকৰ ওপৰত আধিপত্য কৰিছিল। দাস আৰু অধিনাৰৰ দাস গুচি মানুহ মজুৰিৰ দাস হৈছিল, মুক্তি তেওঁলোকৰ কাৰণে তেতিয়াও বহুত দূৰৈত আছিল। দেশবিলাকৰ সম্পৰ্কতো অৱস্থা তেনে হৈছিল। মানুহে ভাবে যে এখন দেশে আন এখন দেশৰ ওপৰত ৰাজনৈতিক আধিপত্য কৰাটোৱেই একমাত্ৰ অশান্তিৰ মূল আৰু এই আধিপত্য গুচালেই মুক্তি আপোনা আপুনি আহিব। কিন্তু কথাটো সিমান অনিবাৰ্য নহয়, কাৰণ আমি দেখিবলৈ পাইছোঁ যে ৰাজনৈতিক মুক্তি ভোগ কৰা দেশ কিছুমানো আনৰ অৰ্থনৈতিক আধিপত্যৰ কাৰণে আনৰ সম্পূৰ্ণ কৰ্তৃত্বাধীন হয়। ভাৰতবৰ্ষৰ বৃটিছ সাম্ৰাজ্যখন দেখ দেখকৈ চকুত পৰা। ভাৰতবৰ্ষত বৃটেনৰ ৰাজনৈতিক আধিপত্য আছে। এই দৃশ্য সাম্ৰাজ্যখনৰ লগে লগে আৰু ইয়াৰ আৱশ্যকীয় অংশ স্বৰূপে ভাৰতবৰ্ষত বৃটেনৰ অৰ্থনৈতিক আধিপত্য আছে। অতি সম্ভৱ, ভাৰতবৰ্ষৰ ওপৰত থকা ৰাজনৈতিক আধিপত্য নাইকিয়া হবলৈ বেছি দিন নেলাগিব। তেতিয়াও অদৃশ্য সাম্ৰাজ্য স্বৰূপে অৰ্থনৈতিক আধিপত্য থাকিব পাৰে। যদি তেনে ঘটে, তেনেহলে তাৰ অৰ্থ হব এই যে ভাৰতবৰ্ষৰ ওপৰত বৃটেনৰ শোষণ চলি থাকিব।

আনৰ ওপৰত আধিপত্য চলোৱা শক্তি এটাৰ কাৰণে সাম্ৰাজ্যবাদৰ আটাইতকৈ কম অশান্তিজনক ৰূপ হৈছে অৰ্থনৈতিক সাম্ৰাজ্যবাদ। ৰাজনৈতিক আধিপত্যই

বিজ্ঞান বেছি বিৰক্তিৰ সৃষ্টি কৰে, ই সিমান নকৰে, কাৰণ বহুত মানুহে ইয়াক লক্ষ্য নকৰে। কিন্তু যেতিয়া চিকুটটো অনুভৱ কৰা হয়, তেতিয়া মানুহবিলাকে ইয়াৰ প্ৰয়োগবিধি বুজি তেওঁলোক বিৰক্ত হয়। লেটিন আমেৰিকাত এতিয়া যুক্তৰাজ্যৰ প্ৰতি বেছি প্ৰেম নাই আৰু উত্তৰ আমেৰিকাৰ আধিপত্যৰ বিৰোধিতা কৰিবৰ অৰ্থে লেটিন আমেৰিকাৰ জাতিবিলাকৰ এটা গোষ্ঠী সৃষ্টি কৰিবলৈ বহুতো চেষ্টা কৰা হৈছে। কিন্তু যেতিয়ালৈকে সেই জাতিবিলাকে সঘনে কাজিয়াৰ বিপ্লৱ আৰু পৰস্পৰৰ কন্দল কৰাৰ অভ্যাসটো এৰিব নোৱাৰে, তেতিয়ালৈকে তেওঁলোকে বেছি কিবা কৰিব পৰাৰ সম্ভাৱনা নাই।

যুক্তৰাজ্যৰ দৃশ্য সাম্ৰাজ্য ফিলিপাইন দ্বীপবিলাকলৈ বিস্তৃত। আগৰ এখন চিঠিত মই তোমাক কৈছোঁ কেনেকৈ তেওঁলোকে স্পেনৰ লগত হোৱা এখন যুদ্ধৰ পাছত সেইবিলাক দ্বীপ অধিকাৰ কৰিছিল। আটলাণ্টিক মহাসাগৰৰ দ্বীপ কিউবাৰ সম্পৰ্কত ১৮৯৮ খ্ৰী:ত এই যুদ্ধখন হৈছিল। কিউবা স্বাধীন হৈছিল, কিন্তু নামতহে স্বাধীন হৈছিল। কিউবা, হাইটি, দুয়োটা দ্বীপতে আমেৰিকাৰ আধিপত্য চলে।

প্ৰায় বাৰ বছৰৰ পূৰ্বে পানামা খালটো জাহাজ চলাচলৰ কাৰণে মুক্ত কৰা হৈছিল। ই মধ্য আমেৰিকাৰ ঠেক এডোখৰ ঠাইত আছে আৰু ই আটলাণ্টিক মহাসাগৰক প্ৰশান্ত সাগৰেৰে সৈতে লগ লগাইছে। ফাৰ্ডিনাণ্ড-ডি-লেছেপছ্ নামৰ যিজন মানুহে চুয়েজ খালটো কৰিছিল, তেওঁ ৫০ বছৰতকৈ অধিক কালৰ পূৰ্বে ইয়াৰ আঁচনি কৰিছিল। কিন্তু তেওঁ জঞ্জালত পৰিল আৰু আমেৰিকানবিলাকে এই খাল প্ৰস্তুত কৰিলে। মেলেৰীয়া আৰু "ইয়েলো ফিভাৰ" ৰপৰা তেওঁলোকৰ বৰ কষ্ট হৈছিল, কিন্তু এই ৰোগ দুটা নিৰ্মূল কৰিবলৈ লাগি তেওঁলোক এই কামত সফল হৈছিল। মেলেৰীয়া বিস্তাৰ কৰা মহ আৰু আন আন ৰোগৰ বাহকবিলাক য'ৰপৰা উৎপত্তি হৈছিল, সেই সকলোবিলাক গুচাই তেওঁলোকে খালৰ পাৰৰ অঞ্চলটোক অতি স্বাস্থ্যকৰ কৰিছিল। খালটো অতি সৰু গণৰাষ্ট্ৰ পানামাৰ ভিতৰত অৱস্থিত, কিন্তু যুক্তৰাজ্যই ইয়াত আধিপত্য কৰে আৰু সৰু গণৰাষ্ট্ৰখনৰ ওপৰতো আধিপত্য কৰে। আমেৰিকাৰ কাৰণে খালটো এটা গুৰুত্বপূৰ্ণ দান হৈছে, নহলে জাহাজবিলাক দক্ষিণ আমেৰিকা গোটেইখন ঘূৰি অহাযোৱা কৰিব লাগিলহেঁতেন। তথাপি পানামা খালৰ গুৰুত্ব চুয়েজ খালৰ সমান বেছি নহয়।

এইদৰে যুক্তৰাজ্য ক্ৰমে বেছিকৈ সবল আৰু সম্পত্তিশালী হৈছিল আৰু সেই ৰাজ্যবিলাকে আন আন সৃষ্টিৰ লগতে কোটিপতিবিলাকৰ আৰু বহুত মহলা থকা আকাশলংঘা অট্টালিকাবিলাকৰ সৃষ্টি কৰিছিল। তেওঁলোকে বহুতো বিষয়ত ইউৰোপৰ সমকক্ষ হৈ পাছত সেই মহাদেশখনক চেৰ পেলাইছিল। উদ্যোগ বিষয়ত তেওঁলোক পৃথিৱীত প্ৰধান জাতি হৈছিল আৰু তেওঁলোকৰ বনুৱাবিলাকৰ জীৱিকা নিৰ্বাহৰ মান আন সকলো ঠাইৰ বনুৱাতকৈ বেছি উন্নত হৈছিল। ১৯শ শতাব্দীত ইংলেণ্ডত হোৱাৰ দৰে এই সমৃদ্ধিৰ কাৰণেই তাত সমাজবাদী আৰু গণতান্ত্ৰিক মতবাদবিলাকক প্ৰায় সমৰ্থন কৰা নহৈছিল। কিছুমান ব্যতিক্ৰম থাকিলেও আমেৰিকাৰ বনুৱা অত্যন্ত পৰিমিতাচাৰী আৰু ৰক্ষণশীল

আছিল। তেওঁলোকক আপেক্ষিকভাৱে বেতন দিয়া হৈছিল; তেওঁলোকে সন্দেহজনক উদগতিৰ কাৰণে পাই থকা সুখ-শান্তিখিনি কিয় বিপন্নত কৰিব ; তেওঁলোক বাহিৰে ইটালীয়ান আৰু আন 'ডাগো' আছিল, এই কামটো তেওঁলোকৰ প্ৰতি ঘৃণা দেখুৱাবলৈ দিয়া হৈছিল। তেওঁলোক দুৰ্বল আৰু অসংগঠিত আছিল আৰু তেওঁলোকক ঘৃণাৰ চকুৰে চোৱা হৈছিল। আনকি যেহি ভাল বেতন পোৱা দক্ষতা থকা বনুৱাবিলাকেও নিজক এই 'ডাগো' বিলাকৰপৰা বেলেগ এটা শ্ৰেণী বুলি বিবেচনা কৰিছিল।

আমেৰিকাৰ ৰাজনীতিত দুটা দলৰ সংবৰ্ধন হৈছিল— 'ৰিপাব্লিকান' দল আৰু 'ডিমক্ৰেটিক' দল। ইংলেণ্ডৰ দৰে আনকি ইংলেণ্ডতকৈও বেছিকৈহে, দুয়োটা দলে ধনী শ্ৰেণী কেইটাৰ প্ৰতিনিধিত্ব কৰিছিল আৰু দুয়ো দলৰ ৰাজনীতিৰ পাৰ্থক্য প্ৰায় নাছিল।

আমেৰিকাৰ এনে অৱস্থাতে বিশ্বযুদ্ধখন আৰম্ভ হৈছিল আৰু এই যুদ্ধই শেহাতৰত আমেৰিকাক সংগ্ৰাম চাকনৈয়াৰ ভিতৰলৈ সুমুৱাইছিল।

১৩৭

আয়াৰলেণ্ড আৰু ইংলেণ্ডৰ মাজত সাতশ বছৰীয়া সংঘৰ্ষ

৪ মাৰ্চ, ১৯৩৩

আটলাণ্টিক মহাসাগৰ আকৌ পাৰ হৈ আমি পুৰণি পৃথিৱীখনলৈ উলটি যাওঁহঁক। আমেৰিকাৰপৰা সাগৰেদি নাইবা আকাশেদি ভ্ৰমণকাৰীয়ে প্ৰথম স্থল ভাগ দেখে, আয়াৰলেণ্ডৰ স্থলভাগ; সেই কাৰণে আমি আয়াৰলেণ্ডতে ৰওঁ। এই সেউজীয়া আৰু সুন্দৰ দ্বীপটো য়ুৰোপৰ পশ্চিমফালে দূৰৈত আটলাণ্টিক মহাসাগৰত অৱস্থিত। ই এটা সৰু দ্বীপ আৰু ই য়ুৰোপীৰ প্ৰধান ধাৰাৰপৰা বিচ্ছিন্ন হৈ আছে; কিন্তু সৰু হলেও ই চিত্তাকৰ্ষক কাহিনীৰে পৰিপূৰ্ণ আৰু অতীত হৈ যোৱা বহুত শ বছৰ ই জাতীয় মুক্তিৰ সংগ্ৰামত অদম্য সাহস আৰু ত্যাগৰ উদ্যম দেখুৱাই আহিছে। ক্ষমতাশালী প্ৰতিবেশী শক্তি এটাৰ বিৰুদ্ধে চলোৱা এই সংগ্ৰামত আয়াৰলেণ্ডে অধ্যৱসায়ৰ এটা বিস্ময়কৰ নিদৰ্শন দেখুৱাইছে। ৭৫০ বছৰতকৈও বেছি পূৰ্বে কন্দলটো আৰম্ভ হৈছিল আৰু এতিয়াও তাৰ মীমাংসা হোৱা নাই। আমি ভাৰতবৰ্ষ, চীন আৰু আন আন ঠাইত বৃটিছ সাম্ৰাজ্যবাদ সক্ৰিয় হোৱাৰ কথা জানিছোঁ। কিন্তু অতি পুৰণি কালৰপৰা আয়াৰলেণ্ডে ইয়াৰ প্ৰধান আঘাতটো পাই আহিছে। তথাপি সেই দেশ স্বইচ্ছাৰে ইয়াৰ বশীভূত হোৱা নাই আৰু প্ৰায় প্ৰত্যেক পুৰুষতে ইংলেণ্ডৰ বিৰুদ্ধে তাত একোটা বিদ্ৰোহ হৈ আছে। সেই দেশৰ আটাইতকৈ বেছি সাহসী সন্তানসকলে মুক্তিৰ কাৰণে যুদ্ধ চলাই প্ৰাণত্যাগ কৰিছিল নাইবা ইংৰাজ কৰ্তৃপক্ষই তেওঁলোকক বধ কৰিছিল। বিৰাট সংখ্যাৰ যি আইৰিছ মানুহে নিজৰ ঘৰখনক অতি তীব্ৰভাৱে ভাল পাইছিল, তেওঁলোক সেই ঘৰ এৰি বিদেশলৈ উঠি গৈছিল। বিদেশী বিবিলাক সৈন্য বাহিনীয়ে ইংলেণ্ডৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, বহুত আইৰিছ মানুহে তেনে বাহিনীত যোগ দিছিল। ইংলেণ্ডে তেওঁলোকৰ স্বদেশৰ ওপৰত আধিপত্য কৰি তাত অত্যাচাৰ চলাইছিল, সেই দেশৰ বিৰুদ্ধে তেওঁলোকৰ শক্তি দেখুৱাবলৈকে তেওঁলোকে তেনে কৰিছিল। আয়াৰলেণ্ডৰপৰা নিৰ্বাসিত কৰা মানুহবিলাক দূৰৈৰ বহুত দেশত বিস্তৃত হৈছিল আৰু তেওঁলোক য'লৈকে গৈছিল, ত'লৈকে তেওঁলোকৰ অন্তৰত আয়াৰলেণ্ডৰ বৈশিষ্ট্যৰ একোটা সৰু ভাগ লৈ গৈছিল।

বিবিলাক অসুখীয়া ব্যক্তি আৰু নিৰ্যাতিত আৰু বিপদযুক্ত হয়বৈ খুজি ... দেশ বৰ্তমান অৱস্থাত অসন্তুষ্ট আৰু তেনে বিবিলাক ব্যক্তি আৰু দেশে বৰ্তমান অৱস্থাত অলপো আনন্দ নেপায়, সেই সকলোবিলাকৰে এনে এটা ... আছে যে সেইবিলাকে অতীতলৈ ঘূৰি চাই অৱশ্যে সান্ত্বনা বিচাৰে। তেওঁলোকে সেই অতীতটোক বেছি ডাঙৰ কৰে আৰু অতীতৰ শ্ৰেষ্ঠত্বৰ কথা ভাবি সান্ত্বনা লভে। বৰ্তমানটো নিৰাশাৰে পৰিপূৰ্ণ কাৰণে অতীতটো তেওঁলোকৰ কাৰণে সান্ত্বনা আৰু প্ৰেৰণা যোগোৱা আশ্ৰয়স্থান হয়। পুৰণি সন্তাপবিলাকৰ কথাও অন্তৰত জকি উঠে আৰু সেইবিলাক পাহৰা নহয়। এনেকৈ সদায় পিছলৈ চোৱা ৰীতিটো জাতি এটাৰ সুস্থতাৰ চিন নহয়। সুস্থ মানুহে আৰু সুস্থ জাতিয়ে বৰ্তমান কালত কাম কৰে আৰু ভৱিষ্যতলৈ চায়। কিন্তু যি মানুহ বা যি জাতি মুক্ত নহয়, সি সুস্থ হব নোৱাৰে, সেই কাৰণে সেই মানুহে বা সেই জাতিয়ে পিছলৈ চাই আংশিকভাৱে অতীতত বাস কৰি থকাটো স্বাভাৱিক।

আয়াৰলেণ্ডে এইদৰে এতিয়াও অতীতত বাস কৰি আছে আৰু পুৰণি কালত সেই দেশ যেতিয়া মুক্ত আছিল, সেই কালৰ গৌৰৱণত আইৰিছ মানুহে বৰ বেছি মূল্য দিয়ে, অতীতত সেই দেশে মুক্তিৰ কাৰণে বিবিলাক সংগ্ৰাম চলাইছিল আৰু বিবিলাক সন্তাপ পাইছিল, সেইবিলাকৰ কথা স্পষ্টকৈ তেওঁলোকৰ মনত আছে। তেওঁলোকে ১৪০০ বছৰৰ পিছলৈ খ্ৰীষ্টাব্দ ষষ্ঠ শতাব্দীলৈ চাই দেখে যে তেতিয়া আয়াৰলেণ্ড পশ্চিম য়ুৰোপৰ শিক্ষাৰ কেন্দ্ৰ আছিল আৰু বহুত দূৰৰ অধ্যয়নকাৰীবিলাকক সেই দেশে আকৰ্ষণ কৰিছিল। ৰোমান সাম্ৰাজ্যৰ পতন হৈছিল আৰু ভাণ্ডল আৰু হুনবিলাকে ৰোমান সভ্যতা বিনাশ কৰিছিল। প্ৰবাদ আছে যে সেই কালত বিবিলাক অঞ্চলে য়ুৰোপত নতুনকৈ সংস্কৃতিৰ পুনৰুত্থান হোৱাৰ আগলৈকে সাংস্কৃতিৰ বন্তি জ্বলাই ৰাখিছিল আয়াৰলেণ্ড সেইবিলাকৰ ভিতৰৰ এক অঞ্চল আছিল। খ্ৰীষ্টীয়ান ধৰ্ম আয়াৰলেণ্ডলৈ আগতীয়াকৈ গৈছিল। আয়াৰলেণ্ডৰ প্ৰতিপালক মহাত্মা চেণ্ট পাট্ৰিকে এই ধৰ্ম তালৈ নিছিল বুলি ভবা হয়। আয়াৰলেণ্ডৰপৰাহে উত্তৰ ইংলেণ্ডলৈ ই বিস্তৃত হৈছিল। আয়াৰলেণ্ডত বহুত মঠ স্থাপন কৰা হৈছিল আৰু ভাৰতবৰ্ষৰ প্ৰাচীন আশ্ৰম আৰু বৌদ্ধ মঠবিলাকৰ দৰে সেইবিলাক শিক্ষাৰ কেন্দ্ৰ হৈছিল। সেইবিলাকত মুকলি ঠাইত প্ৰায়ে শিক্ষাদান কৰা হৈছিল। নতুন খ্ৰীষ্টীয়ান ধৰ্মটো এই ধৰ্ম নমনা মানুহৰ মাজত প্ৰচাৰ কৰিবৰ অৰ্থে এই মঠবিলাকৰপৰা ধৰ্ম প্ৰচাৰকসকল উত্তৰ আৰু পশ্চিম য়ুৰোপলৈ গৈছিল। আয়াৰলেণ্ডৰ মঠবিলাকৰ সন্ন্যাসীসকলে ৰংচঙীয়া আখৰ আৰু চিত্ৰ থকা সুন্দৰ হাতে লিখা পুথি ৰচনা কৰিছিল। তাৰভিতৰত এতিয়া এনে এখন হাতে লিখা পুথি আছে, ইয়াৰ নাম 'বুক্ অৱ কেলছ্', সম্ভৱতঃ ১২০০ বছৰৰ পূৰ্বে ইয়াক ৰচনা কৰা হৈছিল।

ষোড়শ শতাব্দীৰপৰা আৰম্ভ কৰি ২০০ কি ৩০০ বছৰৰ এই যুগটোক বহুতো আইৰিছ মানুহে এক প্ৰকাৰৰ সোণালী যুগ বুলি ভাবে, এই যুগত গেলিক সংস্কৃতিৰ শ্ৰেষ্ঠ অভ্যুদয় হৈছিল। সম্ভৱতঃ কালৰ দূৰত্বই এই পুৰণি যুগটোলৈ মোহ বঢ়োৱাত সেই যুগটো যেনে আছিল, তাক তাতকৈ বেছি গুৰুত্বপূৰ্ণ যেন লগা হৈছে।

সেই কালত আয়াৰলেণ্ড বহুতো উপজাতিৰ মাজত বিভক্ত আছিল আৰু এই উপজাতিবিলাকে অবিৰতভাৱে পৰস্পৰ যুদ্ধ কৰিছিল। ভাৰতবৰ্ষৰ দৰে আয়াৰলেণ্ডতো পৰস্পৰ কন্দল সেই দেশৰ দুৰ্বলতা আছিল। তাৰ পাছত ডেন আৰু নৰ্চমেনবিলাক সেই দেশলৈ গৈ তেওঁলোকে ইংলেণ্ড আৰু ফ্ৰান্সত কৰাৰ দৰে আইৰিছবিলাকৰ ওপৰত ডকাইতি আদি উৎপীড়ন কৰি বিস্তীৰ্ণ অঞ্চল কিছুমান অধিকাৰ কৰিছিল। একাদশ শতাব্দীৰ আৰম্ভণি ভাগত ব্ৰিয়ান বৰুমা নামৰ আইৰিছ ৰজা এজন প্ৰখ্যাত হয়। তেওঁ ডেনবিলাকক পৰাস্ত কৰি কিছুকালৰ কাৰণে আয়াৰলেণ্ডক ঐক্যবদ্ধ কৰিছিল; কিন্তু তেওঁৰ মৃত্যুৰ পাছতে দেশখন পুনৰ ভাগ ভাগ হৈছিল।

তোমাৰ মনত পৰিব যে বিজয়ী উইলিয়ামৰ অধীনত নৰ্মানবিলাকে একাদশ শতাব্দীত ইংলেণ্ড অধিকাৰ কৰিছিল। এশ বছৰৰ পাছত ইংলেণ্ডৰ এই নৰ্মানবিলাকে আয়াৰলেণ্ড আক্ৰমণ কৰি তেওঁলোকে যিটো ভাগ অধিকাৰ কৰিছিল তাক 'পেইল' (বেৰা ঠাই) বোলা হৈছিল; এই শব্দটোৰপৰাই সম্ভৱতঃ ইংৰাজীত সাধাৰণতে ব্যৱহাৰ কৰা 'বিওণ্ড ডা পেইল' (বেৰা ঠাইৰ বাহিৰৰ) বাক্যাংশটোৰ উৎপত্তি হৈছে, ইয়াৰ অৰ্থ আছুতীয়া স্বত্ব ভোগা মানুহৰ সমূহ বা সামাজিক সমষ্টিৰ বহিৰ্ভূত। ১১৬৯ খ্ৰীঃত হোৱা ইংলেণ্ডৰ নৰ্মানবিলাকৰ এই আক্ৰমণে পুৰণি গেলিক সভ্যতাৰ ভীষণ অনিষ্ট সাধিছিল আৰু ইয়ে আইৰিছ উপজাতিবিলাকৰ লগত প্ৰায় নেৰানেপেৰাকৈ চলি থকা যুদ্ধবিলাকৰ আৰম্ভণি আছিল। কেইবাশ বছৰ চলা এই যুদ্ধবিলাক পাশৱিক আৰু অত্যন্ত নিষ্ঠুৰ আছিল। ইংৰাজবিলাকে (এতিয়া ইংলেণ্ডৰ নৰ্মানবিলাকক ইংৰাজ বুলিব পৰা গৈছিল) আইৰিছবিলাকক এক প্ৰকাৰৰ আধা আধি অসভ্য এটা জাতি বুলি সদায় ঘিণ কৰিছিল। ইংৰাজবিলাক এংলো-চেকচন জাতিৰ আৰু আইৰিছবিলাক কেল্ট জাতিৰ মানুহ আছিল কাৰণে তেওঁলোকৰ জাতিগত পাৰ্থক্য আছিল; পাছত ধৰ্ম বিষয়তো পাৰ্থক্য হৈছিল, ইংৰাজ আৰু স্কটবিলাক প্ৰটেষ্টাণ্ট হৈছিল আৰু আইৰিছবিলাক ৰোমান কেঠলিক ধৰ্মতে বিশ্বাসী হৈ আছিল। সেই কাৰণে ইংৰাজ আৰু আইৰিছবিলাকৰ মাজত চলা এই যুদ্ধবিলাকত জাতিগত আৰু ধৰ্মমূলক যুদ্ধৰ সকলোবিলাক তিক্ততা আছিল। ইংৰাজবিলাকে ইচ্ছাপূৰ্বক এই জাতি দুটা লগ লগাত বাধা দিছিল। আনকি ইংৰাজ আৰু আইৰিছৰ মাজত বিবাহ নিষিদ্ধ কৰা আইন এটাও কৰা হৈছিল (কিল্‌কেনিৰ আইন)।

আয়াৰলেণ্ডত ইটোৰ পাছত সিটোকৈ বিদ্ৰোহ হৈ আছিল আৰু প্ৰত্যেকটো বিদ্ৰোহকে তীব্ৰ নিষ্ঠুৰতাৰে সম্পূৰ্ণ দমন কৰা হৈছিল। আইৰিছবিলাকে স্বাভাৱিকতে তেওঁলোকৰ বিদেশী শাসক আৰু উৎপীড়নকাৰীবিলাকক ঘিণাইছিল আৰু যেতিয়াই তেওঁলোকে সুযোগ পাইছিল, তেতিয়াই, আনকি সুযোগ নথকাতো তেওঁলোক বিদ্ৰোহী হৈছিল। পুৰণি প্ৰবচন এটা আছে যে 'ইংলেণ্ডৰ সঙ্কট আয়াৰলেণ্ডৰ সুযোগ হয়', আৰু ৰাজনৈতিক আৰু ধাৰ্মিক এই দুয়োটা কাৰণতে আয়াৰলেণ্ডে সঘনে ইংলেণ্ডৰ ফ্ৰান্স আৰু স্পেইনৰ দৰে শত্ৰুৰ পক্ষ সমৰ্থন কৰিছিল। এই কাৰণে ইংৰাজবিলাক অতিশয় ক্ৰোধান্বিত হৈছিল, তেওঁলোকে অনুভৱ

কৰিছিল যে তেওঁলোকক গোপনে পিছফালৰপৰা আঘাত কৰা হৈছিল আৰু তেওঁলোকে সকলো প্ৰকাৰৰ পাশৱিক অত্যাচাৰেৰে তাৰ প্ৰতিফল দিছিল।

ৰাণী এলিজাবেথৰ উত্তৰাধিকাৰী ইংলেণ্ডৰ ১ম জেমচ্ আইৰিছবিলাকৰ বল্ ভঙাৰ চেষ্টাত আৰু এখোপ আগুৱাই গৈছিল। তেওঁ আয়াৰলেণ্ডত বিদেশী উপনিৱেশকাৰীৰ নিয়মীয়া বাগিছা স্থাপন কৰিবলৈ সিদ্ধান্ত কৰিছিল আৰু সেই অৰ্থে বজাই আয়াৰলেণ্ডৰ উত্তৰফালে আলষ্টাৰৰ ছখন "কাউণ্টি"ৰ (জিলাৰ) প্ৰায় সকলোখিনি মাটি বাজেয়াপ্ত কৰিছিল। তাত মাটি এনেয়ে পোৰা হৈছিল আৰু ইংলেণ্ড আৰু স্কটলেণ্ডৰপৰা দলে দলে ভাগ্যান্বেষী মানুহ তালৈ গৈছিল। এনে বহুত ইংৰাজ আৰু স্কটে মাটি পাই তাত কৃষক স্বৰূপে নিগাজীকৈ বসতি স্থাপন কৰিছিল। উপনিৱেশ স্থাপনৰ এই পদ্ধতিত সহায় কৰিবলৈ লণ্ডন মহানগৰীক কোৱা হৈছিল আৰু তাত নতুন "আলষ্টাৰৰ বাগিছা"ৰ কাৰণে বিশেষ এটা সংঘ প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ কাৰণেই উত্তৰ ফালৰ ডেৰি নগৰখন লণ্ডনডেৰি নামে জনাজাত হৈছিল।

এইদৰে আলষ্টাৰ আয়াৰলেণ্ডত সৰু এডোখৰ বৃটেন হৈছিল আৰু আচৰিত হবলগীয়া কথা একো নাই যে এই কাৰণে আইৰিছবিলাকক অত্যন্ত বিৰক্ত হোৱা দেখা গৈছিল। সিকালে নতুন আলষ্টাৰবাসীয়ে আইৰিছবিলাকক ঘিণাইছিল আৰু তেওঁলোকক তুচ্ছ জ্ঞান কৰিছিল। আয়াৰলেণ্ডক দুটা শত্ৰুভাৱাপন্ন ভাগত বিভক্ত কৰিবৰ কাৰণে এইটো ইংলেণ্ডৰ কেনে আচৰিত ৰকমৰ চতুৰ সাম্ৰাজ্যবাদী ব্যৱস্থা আছিল। তিনিশ বছৰৰ পাছত এতিয়াও আলষ্টাৰৰ সমস্যা সমাধান নোহোৱাকৈ আছে।

আলষ্টাৰত বাগিছা স্থাপন কৰাৰ অলপ সময়ৰ পাছতে ইংলেণ্ডত ১ম চাৰ্লচ আৰু পাৰ্লামেণ্টৰ মাজত গৃহযুদ্ধ হৈছিল। পাৰ্লামেণ্টৰ ফালে পিউৰিটান আৰু প্ৰটেষ্টাণ্টবিলাক আছিল আৰু কেঠলিক আয়াৰলেণ্ডে স্বাভাৱিকতে বজাৰ পক্ষ লৈছিল, আলষ্টাৰে পাৰ্লামেণ্টৰ পক্ষ লৈছিল। আইৰিছবিলাকে ভয় কৰিছিল আৰু ভয়ৰ কাৰণ নোহোৱাও নাছিল যে পিউৰিটানবিলাকে কেঠলিক ধৰ্ম সম্পূৰ্ণ নিৰ্মূল কৰিব, আৰু তেওঁলোকে ১৬৪১ খ্ৰীঃত এটা ডাঙৰ বিদ্ৰোহৰ সৃষ্টি কৰিছিল। এই বিদ্ৰোহটো আৰু ইয়াৰ দমন আগৰ বিদ্ৰোহবিলাকতকৈ বেছি নিষ্ঠুৰ আৰু পাশৱিক আছিল। আইৰিছ কেঠলিকে নিষ্ঠুৰভাৱে প্ৰটেষ্টাণ্টবিলাকক সমূহীয়াকৈ বধ কৰিছিল। ক্ৰমৱেলৰ প্ৰতিশোধ ভয়ঙ্কৰ আছিল। বহুতো আইৰিছক, বিশেষকৈ কেঠলিক ধৰ্মযাজকক সমূহীয়াকৈ বধ কৰা হৈছিল আৰু আয়াৰলেণ্ডত এতিয়াও ক্ৰমৱেলক তিক্তভাৱে মনত ৰখা হৈছে।

এই সকলোবিলাক সন্ত্ৰাসবাদ আৰু নিষ্ঠুৰতাৰ স্বত্বেও এপুৰুষৰ পাছত পুনৰ বিদ্ৰোহ আৰু গৃহযুদ্ধ হৈছিল, সেইবিলাকৰ ভিতৰত দুটা ঘটনা বেছি প্ৰধান:— লণ্ডনডেৰি আৰু লাইমৰিকৰ অৱৰোধ। আলষ্টাৰৰ প্ৰটেষ্টাণ্ট লণ্ডন ডেৰিক ১৬৮৮ খ্ৰীঃত কেঠলিক আইৰিছবিলাকে অৱৰোধ কৰিছিল যদিও প্ৰতিৰক্ষকবিলাকৰ খাদ্য সামগ্ৰী নাছিল আৰু তেওঁলোক অনাহাৰে থাকিব লগা হৈছিল, তথাপি

তেওঁলোকে ধীৰেধীৰে সেই ঠাইৰ প্ৰতিৰক্ষাৰ বিধান কৰিছিল। চাৰিমাহ অৱৰোধ আৰু আৱশ্যকীয় বস্তুৰ অভাৱ ভোগাৰ পাছত অৱশেষত ইংৰাজৰ জাহাজত খাদ্যবস্তু আৰু সাহায্য নিয়া হৈছিল। লাইম্‌ৰিকত ১৯৬০ খ্ৰীঃতে আৰু ওলোটাটো হৈছিল, ইংৰাজে কেঠলিক আইৰিছবিলাকক অৱৰোধ কৰিছিল। এই অৱৰোধৰ প্ৰখ্যাত নেতা আছিল পেট্ৰিক চাৰ্চফিল্ড, তেওঁ দুৰ্যোৰ বিপৰ্যয়ৰ বিৰুদ্ধে লাইমৰিক চমৎকাৰকৈ ৰক্ষা কৰিছিল। আনকি আইৰিছ মহিলায়ো যুদ্ধ কৰিছিল, আৰু চাৰ্চফিল্ড আৰু তেওঁৰ সাহসী দলটোৰ বিষয়ৰ গেলিক গান আজিকালিও আয়াৰ-লেণ্ডৰ গাৱেঁ-ভূঁয়ে গোৱা হয়। অৱশেষত চাৰ্চফিল্ডে লাইমৰিক এৰি দিছিল, কিন্তু ইংৰাজৰ লগত এটা সন্মানীয় সন্ধি কৰাৰ পাছতহে তেওঁ তেনে কৰিছিল। লাইমৰিকৰ এই সন্ধিৰ এটা চৰ্ত আছিল এই যে আইৰিছ কেঠলিকবিলাকক অসামৰিক আৰু ধৰ্ম বিষয়ত সম্পূৰ্ণ স্বাধীনতা দিয়া হব।

ইংৰাজবিলাকে নাইবা বেছি সঠিককৈ কবলৈ হলে আয়াৰলেণ্ডত থকা ইংৰাজ জমিদাৰৰ পৰিয়ালবিলাকে লাইমৰিকৰ এই সন্ধি ভাঙিছিল। এই প্ৰটেষ্টাণ্ট পৰিয়ালবিলাকে ডাবলিনত থকা তলতীয়া সংসদ এখনত আধিপত্য কৰিছিল; লাইমৰিকত গম্ভীৰ প্ৰতিশ্ৰুতি দিয়া স্বত্বেও তেওঁলোকে কেঠলিকবিলাকক অসামৰিক আৰু ধৰ্ম বিষয়ত স্বাধীনতা দিবলৈ মান্তি নহৈছিল। তাৰ পৰিৱৰ্তে তেওঁলোকে কেঠলিকবিলাকৰ শাস্তি বিধান কৰাৰ আৰু আয়াৰলেণ্ডৰ উলৰ বাণিজ্য ইচ্ছাপূৰ্বক নাশ কৰাৰ আইন কৰিছিল। তেওঁলোকৰ তলতীয়া প্ৰজাবিলাকক নিষ্ঠুৰভাৱে দমন কৰা হৈছিল আৰু তেওঁলোকক মাটিৰপৰা উচ্ছেদ কৰা হৈছিল। মনত ৰাখিবা যে তাৰ লোকসংখ্যাৰ বেছিভাগ মানুহ কেঠলিক আছিল আৰু তেওঁলোকৰ সৰহভাগেই জমিদাৰৰ তলতীয়া প্ৰজা আছিল আৰু এই মানুহবিলাকৰ বিৰুদ্ধে এমুঠি বিদেশী প্ৰটেষ্টাণ্ট জমিদাৰে এইবিলাক কৰিছিল। কিন্তু সকলো ক্ষমতা এই ইংৰাজ জমিদাৰবিলাকৰ হাতত আছিল, তেওঁলোকে তেওঁলোকৰ জমিদাৰীৰপৰা আঁতৰত বাস কৰিছিল আৰু তেওঁলোকৰ নিষ্ঠুৰ আৰু অতিলোভী প্ৰতিনিধি আৰু খাজনা আদায় কৰা মানুহবিলাকৰ হাতত তলতীয়া প্ৰজাবিলাকক গটোৱা হৈছিল।

লাইম্‌ৰিকৰ কাহিনীটো পুৰণি, কিন্তু গম্ভীৰভাৱে দিয়া প্ৰতিশ্ৰুতি এটা ভঙ্গ কৰাৰপৰা যি তিক্ততা আৰু ক্ৰোধ উদ্ভৱ হৈছিল, সেইবিলাকে এতিয়াও শাম কটা নাই; আনকি বৰ্ত্তমান কালতো আইৰিছ জাতীয়তাবাদী মানুহৰ মনত ইংৰাজে আয়াৰলেণ্ডত কৰা বিশ্বাসঘাতকতাৰ বৃত্তান্তবিলাকৰ ভিতৰত লাইম্‌ৰিক আটাইতকৈ প্ৰধান হৈ আছে। সেই কালত এই চুক্তি ভঙ্গ, ধৰ্ম্ম বিষয়ৰ অসহিষ্ণুতা আৰু উৎপীড়ন আৰু জমিদাৰবিলাকৰ নিষ্ঠুৰতাই বহুতো সংখ্যাৰ আইৰিছ মানুহক আন দেশলৈ খেদাইছিল। বাছকবনীয়া আইৰিছ যুৱকবিলাক আন দেশলৈ গৈ যি দেশেই ইংৰাজবিলাকৰ বিৰুদ্ধে যুদ্ধ কৰিছিল তাতে তেওঁলোকে যোগ দিছিল। য'তে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ হৈছিল তাতে এই আইৰিছ মানুহবিলাকক পোৱা সুনিশ্চিত আছিল।

'গালিভাৰৰ ভ্ৰমণ কাহিনী'ৰ গ্ৰন্থকাৰ জনাথন চুইফ্‌ট্‌ এই যুগত জীয়াই আছিল (তেওঁ ১৬৬৭ খ্ৰীঃৰপৰা ১৭১৫ খ্ৰীঃলৈ জীৱিত আছিল); ইংৰাজসকলৰ বিৰুদ্ধে তেওঁৰ ঘৃণাৰ অলপ আভাস পাব পাৰি তেওঁ আইৰিছবিলাকক দিয়া উপদেশৰপৰা তেওঁ কৈছিল, "ইংৰাজৰ কয়লাৰ বাহিৰে তেওঁলোকৰ আন সকলো-বোৰ পোৰা।" ডাবলিনৰ চেণ্ট পেট্ৰিকৰ গীৰ্জাত থকা তেওঁৰ সমাধি ফলকত লিখি ৰখা কথাখিনি আৰু বেছি তিক্ততাপূৰ্ণ। সম্ভৱতঃ এই কথাখিনি তেওঁ নিজে লিখিছিল, তাত আছে:

"ইয়াতে জনাথন চুইফ্‌টৰ দেহাটো আছে,
ত্ৰিশ বছৰ তেওঁ এই গীৰ্জাটোৰ শ্ৰেষ্ঠ ধৰ্মযাজক আছিল
ইয়াত পাশৱিক ক্ৰোধে আৰু কোনো দিনে
তেওঁৰ অন্তৰ বিদীৰ্ণ কৰিব নোৱাৰে।

যোৱা, পথিক, আৰু যদি পাৰা,
সেইজনক অনুকৰণ কৰা,
তেওঁ স্বাধীনতা ৰক্ষাৰ হকে
মানুহৰ যোগ্য ভূমিকা ৰূপায়িত কৰিছিল।"

১৭৭৪ খ্ৰীঃত আমেৰিকাৰ স্বাধীনতাৰ যুদ্ধ লাগিছিল আৰু বৃটিছৰ সৈন্য-দলবিলাক আটলাণ্টিক মহাসাগৰৰ সিপাৰলৈ পঠিয়াব লগা হৈছিল। আয়াৰলেণ্ডত অৱস্থাৰ পৰিবৰ্তন হৈছিল তাত বৃটিছ সৈন্যদল বস্তুপাৰ্থত একেবাৰে নাইকিয়া হৈছিল আৰু ফ্ৰান্সৰ আক্ৰমণৰ কথা ওলাইছিল, কাৰণ ফ্ৰান্সেও ইংলেণ্ডৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। সেই কাৰণে প্ৰতিৰক্ষাৰ অৰ্থে কেঠলিক, প্ৰটেষ্টাণ্ট দুয়ো ভাগে স্বেচ্ছাসেৱকৰ দল সংগঠিত কৰিছিল। কিছুদিনৰ কাৰণে তেওঁলোকে পুৰণি শত্ৰুতা পাহৰি সহযোগ কৰি নিজৰ শক্তি উপলব্ধি কৰিছিল। ইংলেণ্ড আন এটা বিদ্ৰোহৰ সন্মুখীন হোৱাৰ ভয় হৈছিল আৰু আমেৰিকাৰ দৰে আয়াৰ-লেণ্ডো বিচ্ছিন্ন হৈ যাব পাৰে বুলি ভয় কৰি তেওঁলোকে আয়াৰলেণ্ডৰ কাৰণে এখন স্বাধীন পাৰ্লামেণ্ট (সংসদ) মঞ্জুৰ কৰিছিল। এইদৰে নীতিগতভাৱে আয়াৰ-লেণ্ড ইংলেণ্ডৰ পৰা স্বাধীন হৈছিল, কিন্তু একেজন ৰজাৰ অধীনতে থাকিবলৈ লৈছিল। কিন্তু আয়াৰলেণ্ডৰ সংসদখন আগৰ দৰেই জমিদাৰৰ আধিপত্য থকা এখন সংকীৰ্ণ সংসদ আছিল আৰু যি প্ৰটেষ্টাণ্টবিলাকে অতীতত ইমান কঠোৰভাৱে কেঠলিকবিলাকক দমাই ৰাখিছিল, তেওঁলোকৰ ভিতৰতে ই আবদ্ধ আছিল। তেতিয়াও কেঠলিকবিলাকক নানা প্ৰকাৰে শাস্তি দিয়া হৈছিল। মুঠেই এইখিনি পাৰ্থক্য হৈছিল যে প্ৰটেষ্টাণ্ট আৰু কেঠলিকবিলাকৰ মাজত আগতকৈ বেছি সদ্ভাৱ হোৱা যেন দেখা গৈছিল। এই সংসদৰ নেতা হেনৰি গ্ৰাটান নিজে প্ৰটেষ্টাণ্ট আছিল, কিন্তু তেওঁ কেঠলিকবিলাকৰ অযোগ্যতাবিলাক গুচাব খুজিছিল। তেওঁ কামত প্ৰায় একো কৰিব নোৱাৰিলে।

ইতিমধ্যে ফৰাচী বিপ্লৱ হয় আৰু ইয়াৰ ফলত আয়াৰলেণ্ডত নতুনকৈ আশাৰ সঞ্চাৰ হয়। আচৰিত হবলগীয়া কথা যে কেঠলিক, প্ৰটেষ্টাণ্ট দুয়ো ভাগে

বিপ্লৱটোক আনন্দেৰে সমৰ্থন কৰিছিল, দুয়ো ভাগৰ মাজত সম্পৰ্ক সেইকালত বেচি ঘনিষ্ঠ হৈছিল। তেওঁলোকক ঐক্যবদ্ধ কৰি কেঠলিকবিলাকক মুক্ত কৰিবৰ অৰ্থে 'ঐক্যবদ্ধ আইৰিছ-মানুহ' নামৰ সংগঠন এটা আৰম্ভ কৰা হৈছিল। চৰকাৰে 'ঐক্যবদ্ধ আইৰিছ মানুহ' নামৰ এই সঙ্ঘ অনুমোদন নকৰি তাক সম্পূৰ্ণ দমন কৰিছিল। সেই কাৰণে ১৭৯৮ খ্ৰীঃত অৱশ্যম্ভাৱীৰূপে সামৰিক বিদ্ৰোহ হৈছিল। এই বিদ্ৰোহ আগৰ কালৰ পুৰণি বিদ্ৰোহ কিছুমানৰ দৰে আলষ্টাৰ আৰু দেশৰ অৱশিষ্ট ভাগৰ মাজত হোৱা ধৰ্ম বিষয়ৰ যুদ্ধ নাছিল; ই জাতীয় বিদ্ৰোহ আছিল আৰু কিছু পৰিমাণে দুয়োভাগে ইয়াত যোগ দিছিল। ইংলেণ্ডে এই বিদ্ৰোহ সম্পূৰ্ণ দমন কৰিছিল আৰু বিদ্ৰোহৰ আইৰিছ বীৰ উল্‌ফ্‌ টোনক বিশ্বাসঘাতক বুলি বধ কৰা হৈছিল।

এইদৰে এই কথা ফট্‌ফটীয়াকৈ ওলাই পৰিছিল যে আয়াৰলেণ্ডক স্বাধীন পাৰ্লামেণ্ট মঞ্জুৰ কৰাৰপৰা আইৰিছ মানুহৰ অৱস্থাৰ প্ৰায় একো পৰিৱৰ্তন নহৈছিল। সেই কালৰ ইংলেণ্ডৰ পাৰ্লামেণ্টো সংকীৰ্ণ আৰু দুৰ্নীতিপৰায়ণ আছিল। ক্ষুদ্ৰ অঞ্চল আৰু তেনে ধৰণৰ সমষ্টিৰপৰা নিৰ্ব্বাচিত হোৱা প্ৰতিনিধিৰে ই গঠিত হৈছিল আৰু জমিদাৰৰ এটা সৰু শ্ৰেণী আৰু বেছি ধনী কেইজনমান বণিকৰ তাত আধিপত্য আছিল। আইৰিছ পাৰ্লামেণ্টতো এই সকলোবিলাক দোষ আছিল, তদুপৰি কেঠলিক দেশ এখনত ই এমুঠি প্ৰটেষ্টাণ্টৰ মাজত আবদ্ধ আছিল। এনে অৱস্থাতো বৃটিছ চৰকাৰে এই আইৰিছ পাৰ্লামেণ্টখনৰ অন্ত কৰি আয়াৰলেণ্ডক বৃটেনৰ লগ লগাবলৈ সিদ্ধান্ত কৰিছিল। আয়াৰলেণ্ডত ইয়াৰ ঘোৰ বিৰোধিতা কৰা হৈছিল, কিন্তু ডাবলিনৰ পাৰ্লামেণ্টৰ সদস্যবিলাকক অতি বেছিকৈ ভেঁটী খুৱাই তেওঁলোকক নিজৰ পাৰ্লামেণ্টখনৰে অস্তিত্ব লোপ পেলোৱাৰ সপক্ষে ভোট দিবলৈ মান্তি কৰোৱা হৈছিল। ১৮০০ খ্ৰীঃত 'এক্ট অব্‌ ইউনিয়ন" (ঐক্যবদ্ধতাৰ আইন) কৰা হৈছিল, সেই আইনমতে গ্ৰাটানৰ অলপ দিনীয়া পাৰ্লামেণ্টৰ অন্ত পৰিছিল আৰু তাৰ পৰিৱৰ্ত্তে লণ্ডনৰ বৃটিছ পাৰ্লামেণ্টলৈ কেইজনমান আইৰিছ সদস্য পঠোৱা হৈছিল।

এই দুৰ্নীতিপৰায়ণ আইৰিছ সংসদখন উঠাই দিয়াৰপৰা সম্ভৱতঃ বেছি ক্ষতি নহৈছিল; মুঠেই এটা ক্ষতি হৈছিল এই যে ইয়ে পিছত হয়তো ইয়াতকৈ বেছি ভাল গঢ়লৈ উন্নীত হব পাৰিলেহেঁতেন। কিন্তু ঐক্যবদ্ধতাৰ এই আইনে এটা প্ৰকৃত অপকাৰ কৰিছিল আৰু সম্ভৱতঃ এনে কৰিবলৈ ইচ্ছাও কৰা হৈছিল। ই উত্তৰ আৰু দক্ষিণ ভাগক কেঠলিক আৰু প্ৰটেষ্টাণ্টক লগ লগোৱাৰ কাৰণে চলোৱা আন্দোলনটোৰ মূৰ মাৰিব পাৰিছিল। প্ৰটেষ্টাণ্ট আলষ্টাৰে পুনৰ আয়াৰলেণ্ডৰ অৱশিষ্ট ভাগৰপৰা মুখ ঘুৰাইছিল আৰু দুয়োটা ভাগত একভাগৰ প্ৰতি আন একভাগৰ প্ৰীতি ভাব নোহোৱা হৈছিল। দুয়ো ভাগৰ মাজত আন এটা পাৰ্থক্য ক্ৰমে হৈছিল। ইংলেণ্ডৰ দৰে আলষ্টাৰে আধুনিক উদ্যোগ চলাইছিল; আয়াৰলেণ্ডৰ অৱশিষ্ট ভাগ কৃষি প্ৰধান হৈ আছিল, আনকি মাটি বিতৰণৰ পদ্ধতিৰ কাৰণে আৰু মানুহ অধিৰতভাৱে আন দেশত বসতি কৰিবলৈ উঠি গৈ থকাৰ কাৰণে কৃষি কাৰ্য্যৰো সমৃদ্ধি নহৈছিল। এইদৰে বেভিয়া উত্তৰ

ভাগ উদ্যোগীকৃত হৈছিল, তেতিয়া দক্ষিণ আৰু পূব ভাগত আৰু বিশেষকৈ পশ্চিম ভাগ উদ্যোগ বিবৰ্জিত অনুন্নত আৰু মধ্যযুগীয়া হৈ আছিল

ঐক্যবদ্ধতাৰ আইনৰ বিৰুদ্ধে প্রতিবাদ স্বৰূপে বিদ্রোহ লোকেহঁতে আইনটো প্রয়োগ কৰিবৰ পৰা নহৈছিল। এই বিফল বিদ্রোহটোৰ নেতা আছিল ৰবাৰ্ট এমেট, তেওঁ এজন প্রতিভাশালী যুৱক আছিল, কিন্তু তেওঁৰ আগৰ কালৰ তেওঁ দেশৰ বহুতো মানুহৰ দৰে তেৰেঁ। ফাঁচীশালত তেওঁৰ জীৱন শেষ কৰিলে।

আইৰিছ সদস্যবিলাক বৃটেনৰ নিম্ন সদন 'হাউচ্ অব্ কমন্স'লৈ গৈছিল কিন্তু কোনো কেঠলিক যাব নোৱাৰিছিল। ইংলেণ্ডত বা আয়াৰলেণ্ডত কেঠলিকক সদস্য হবলৈ দিয়া নহৈছিল। ১৮২৯ খ্রীঃত এই অযোগ্যতাবিলাক আঁতৰোৱা হৈছিল, তেতিয়াৰপৰা কেঠলিক বৃটিছ পাৰ্লামেণ্টত বহিবপৰা হৈছিল। আইৰিছ নেতা ডেনিয়েল ও'কনেলে এই অযোগ্যতাবিলাক আঁতৰাব পাৰিছিল, আৰু সেই কাৰণে তেওঁক 'মুক্তিদাতা' বোলা হৈছিল। আন যি এটা পৰিবৰ্ত্তন ক্রমে হৈছিল, সেইটো আছিল ভোট দিয়াৰ অধিকাৰ বিস্তাৰিত কৰা, ইয়াৰপৰা ক্রমে বেছি মানুহক ভোটৰ অধিকাৰ দিয়া হৈছিল। আয়াৰলেণ্ডক ইংলেণ্ডৰ লগ লগোৱাত একে আইন দুয়ো দেশতে প্রয়োগ কৰা হৈছিল। এইদৰে ১৮৩২ খ্রীঃৰ 'ৰিফৰ্ম বিল' (সংস্কাৰৰ আইন) বৃটেনৰ দৰে আয়াৰলেণ্ডতো প্রয়োগ কৰা হৈছিল। বৃটেনৰ নিম্ন সদনৰ ('হাউচ অব কমন্স'ৰ) সদস্যৰ নমুনা পৰিবৰ্ত্তিত হ'বলৈ ধৰিছিল। তেওঁলোক জমিদাৰবিলাকৰ প্রতিনিধি গুচি কেঠলিক খেতিয়কবিলাকৰ আৰু আইৰিচ জাতীয়তাবাদৰ মুখপাত্র হৈছিল।

জমিদাৰৰ অত্যাচাৰৰ তলত থকা আৰু মাটিৰ মূল্যৰ সমান খাজনা দিয়া আইৰিছ ৰায়তবিলাকে তেওঁলোকৰ দাৰিদ্র্যৰ কাৰণে আলুকেই তেওঁলোকৰ প্রধান খাদ্য ৰূপে ব্যৱহাৰ কৰিছিল। তেওঁলোকে স্বৰূপতে আলু খাই জীৱন ধাৰণ কৰিছিল আৰু বৰ্ত্তমান কালৰ ভাৰতীয় কৃষকৰ দৰে তেওঁলোকৰ সঞ্চয় নাছিল; অভাৱত পৰিলে সহায় লবলৈ তেওঁলোকৰ গাঁচতীয়া একো নাছিল। তেওঁলোকে টানি-খানি কোনো ৰকমে জীৱন চলাইছিল আৰু তেওঁলোকৰ প্রতিৰোধ কৰাৰ শক্তি নাছিল। ১৮৪৬ খ্রীঃত আলু খেতি নহ'ল। আৰু তাৰ ফলত ভয়ানক দুৰ্ভিক্ষ হ'ল। কিন্তু দুৰ্ভিক্ষৰ মাজেও জমিদাৰবিলাকে খাজনা নিদিয়াৰ বাবে ৰায়তবিলাকক খেদি পঠিয়াইছিল। বহুত সংখ্যক আইৰিছ মানুহ নিজৰ ঘৰ এৰি আমেৰিকা আৰু আন আন দেশলৈ গৈছিল। আয়াৰলেণ্ড প্রায় জনশূন্য দেশ হৈছিল। দেশৰ বহুত মাটি পুনৰ চহোৱা নহ'ল কাৰণে সেইবিলাক খননি পথাৰত পৰিণত হ'ল।

খেতিৰ মাটি এইদৰে ভেৰাৰ বাঁহনি পথাৰলৈ ৰূপান্তৰিত পদ্ধতিটো আয়াৰলেণ্ডত এশ বছৰতো অধিক কাল ধৰি আজাৰ দিনলৈকে একেবাহে চলি থাকে। ইয়াৰ প্রধান কাৰণ আছিল ইংলেণ্ডত উলৰ উৎপন্ন কৰিবৰ কাৰণে হোৱা কাৰখানাবিলাকৰ সংবৰ্দ্ধন। বিলাত বেছিকৈ বস্ত্র ব্যৱহাৰ কৰা হৈছিল, নিৰাম বেছিকৈ উৎপাদন হৈছিল আৰু নিৰাম বেছিকৈ উল লাগিছিল। আয়াৰলেণ্ডৰ জমিদাৰ-

বিলাকৰ কাৰণে পথাৰত কাম কৰা বনুৱাৰ হতুৱাই মাটিত খেতি কৰোৱাতকৈ ভেৰাৰ খাঁহনি পথাৰ কৰা বেছি লাভজনক আছিল। খাঁহনি পথাৰৰ কাৰণে অতি কম বনুৱা লাগে, ভেৰাবিলাক ৰাখিবৰ কাৰণে কেইজনমান বনুৱা হলেই হয়। এইদৰে কৃষিকাৰ্যৰ বনুৱা অনাৱশ্যক হৈছিল আৰু দেশখন জনশূন্য কৰাৰ পদ্ধতিটো চলি আছিল। আয়াৰলেণ্ড 'ঔদ্যোগিক' ইংলেণ্ডৰ কেঁচা মাল যোগোৱা এটা অঞ্চল মাথোন হৈছিল। খেতিৰ মাটি খাঁহনি কৰাৰ পুৰণি পদ্ধতিটো এতিয়া ওলোটোৱা হৈছে, নাঙলে পুনৰ নিজৰ মৰ্যাদা ঘুৰাই পাইছে। যথেষ্ট কৌতূহলজনক কথা এইযে আয়াৰলেণ্ড আৰু ইংলেণ্ডৰ মাজত হোৱা বাণিজ্য বিষয়ৰ যুদ্ধ এখনৰ ফলত এনে হৈছে। এই যুদ্ধখন ১৯৩২ খ্ৰীঃত আৰম্ভ হৈছিল।

১৯শ শতাব্দীৰ এটা ডাঙৰ ভাগ জুৰি মাটিৰ প্ৰশ্নটো জমিদাৰবিলাক জমিদাৰীৰ-পৰা আঁতৰত বাস কৰা প্ৰথাৰ অধীনত কষ্ট ভোগা অসুখী তলতীয়া প্ৰজাবিলাকৰ কষ্টৰ প্ৰশ্নটো আয়াৰলেণ্ডৰ প্ৰধান প্ৰশ্ন আছিল। অৱশেষত বৃটিছ চৰকাৰে জমিদাৰ-বিলাকৰ সকলো মাটি বাধ্যতামূলকভাৱে কিনি লৈ তেওঁলোকক গুচাই মাটিবিলাক তলতীয়া খেতিয়ক প্ৰজাক দিবলৈ সিদ্ধান্ত কৰে। জমিদাৰবিলাকৰ অৱশ্যে অলপো ক্ষতি নহৈছিল। তেওঁলোকে চৰকাৰৰপৰা মাটিৰ পুৰা দাম পালে। তলতীয়া খেতিয়ক প্ৰজাই মাটি পাইছিল, কিন্তু মাটিৰ দামৰ বোজাটো তাৰ লগত সংযুক্ত আছিল। তেওঁলোকে এই দামটো মুঠতে একেলগে দিব নেলাগিছিল, বছৰে বছৰে কম কমকৈ আদায় কৰিব লাগিছিল।

১৭৯৮ খ্ৰীঃৰ জাতীয় বিদ্ৰোহৰ পাছত এশ বছৰৰো অধিক কাল আয়াৰলেণ্ডত ডাঙৰ বিদ্ৰোহ নাছিল। ১৯শ শতাব্দীটোৰ আগৰ শতাব্দীবিলাকত আয়াৰলেণ্ডত এনে সাময়িক বিদ্ৰোহ হৈ আছিল, ১৯শ শতাব্দীটো তেনে ঘটনাৰপৰা মুক্ত আছিল। কিন্তু সন্তোষৰ ভাৱৰপৰা এনে নহৈছিল। হৈ যোৱা বিদ্ৰোহটোৱে দেশখনক ক্লান্ত কৰিছিল, ডাঙৰ দুৰ্ভিক্ষটো হৈছিল আৰু দেশৰ জনসংখ্যা কমিছিল। শতা-ব্দীৰ দ্বিতীয়াৰ্দ্ধত মানুহৰ মন কিছু পৰিমাণে বৃটিছ পালিয়ামেণ্টলৈ আকৃষ্ট হৈছিল, তেওঁলোকে আশা কৰিছিল যে তাৰ আইৰিছ সদস্য কেইজনে কিবা এটা কৰিব পাৰিব। কিন্তু সেই অৱস্থাতো কিছুমান আইৰিছ মানুহে সাময়িক বিদ্ৰোহৰ পুৰণি পৰম্পৰাটো সজীৱ কৰি ৰাখিব খুজিছিল। তেওঁলোকে ভাবিছিল যে তেনেহলেহে আয়াৰলেণ্ডৰ উদ্যম আৰু আভ্যন্তৰীণ শক্তি সতেজ আৰু নিষ্কলুষ হৈ থাকিব পাৰিব। আমেৰিকাত বাস কৰিবলৈ যোৱা আইৰিছ মানুহবিলাকে তাত আয়াৰলেণ্ডৰ স্বাধীনতাৰ অৰ্থে এটা সংঘ স্থাপন কৰিছিল। এই মানুহবিলাকক ফেনিয়ান বোলা হৈছিল, তেওঁলোকে আয়াৰলেণ্ডত সৰুসুৰা বিদ্ৰোহ সংগঠিত কৰিছিল। কিন্তু সেইবিলাকে জনসাধাৰণক স্পৰ্শ নকৰিছিল আৰু ফেনিয়ানবিলাকক শীঘ্ৰে সম্পূৰ্ণ দমন কৰা হৈছিল।

মই এতিয়া এই চিঠিখন শেষ কৰা উচিত হ'ব, কাৰণ যথেষ্ট দীঘল হৈছে কিন্তু আয়াৰলেণ্ডৰ কাহিনী এতিয়াও শেষ হোৱা নাই।

১৪০

আয়াৰলেণ্ডত স্বায়ত্ত শাসন আৰু চিনফেইন

৯ মার্চ, ১৯৩৩

ইয়ানবিলাক সশস্ত্ৰ বিদ্ৰোহৰ পিছত আৰু দুৰ্ভিক্ষ আৰু ডাঙৰ বিপদবিলাকৰ কাৰণে আয়াৰলেণ্ডে মুক্তি লাভৰ কাৰণে এই পদ্ধতিটো চলাই থকাত ক্লান্তি বোধ কৰিছিল। ১৯শ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধত বৃটিছ পাৰ্লিয়ামেণ্টলৈ সদস্য নিৰ্বাচনত ভোট দিয়াৰ অধিকাৰ বেছি বিস্তৃত হয়, তেতিয়া নিম্ন সদনলৈ ('হাউচ অৱ কমন লৈ) বহুতো জাতীয়তাবাদী আইৰিছ সদস্য নিৰ্বাচিত হৈছিল। মানুহে আশা কৰিবলৈ ধৰিছিল যে এই সদস্যবিলাকে সম্ভৱতঃ আয়াৰলেণ্ডৰ মুক্তিৰ কাৰণে কিবা এটা কৰিব পাৰিব; তেওঁলোকে পুৰণি সশস্ত্ৰ বিদ্ৰোহৰ পদ্ধতিৰ সলনি সংসদী কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰিবলৈ ধৰিছিল।

উত্তৰ ফালৰ আলষ্টাৰ আৰু আয়াৰলেণ্ডৰ অৱশিষ্ট ভাগৰ মাজত বিভেদ পুনৰ বাঢ়িছিল। জাতিগত আৰু ধৰ্মবিশ্বাসৰ বিভেদ চলি আছিল, তদুপৰি অৰ্থনৈতিক বিভেদ বেছি স্পষ্ট হৈছিল। ইংলেণ্ড আৰু স্কটলেণ্ডৰ দৰে আলষ্টাৰ উদ্যোগীকৃত হৈছিল আৰু তাত বৃহৎ বৃহৎ কাৰখানাত উৎপাদন কৰা হৈছিল। দেশখনৰ অৱশিষ্ট ভাগ কৃষিপ্ৰধান, মধ্যযুগীয়া, জনশূন্য আৰু দুখীয়া আছিল। আয়াৰলেণ্ডক দুভাগক বিভক্ত কৰাৰ ইংলেণ্ডৰ পুৰণি নীতি অতি ভালকৈ কৃতকাৰ্য হৈছিল; স্বৰূপতে ই ইমান ভালকৈ কৃতকাৰ্য হৈছিল যে কিছুমান বছৰৰ পাছত ইংলেণ্ডে সেই সঙ্কটটো আঁতৰাবলৈ চেষ্টা কৰি আঁতৰাব নোৱাৰিছিল। আয়াৰলেণ্ডৰ মুক্তিৰ কাৰণে আলষ্টাৰ আটাইতকৈ ডাঙৰ বাধা হৈছিল। মুক্ত আয়াৰলেণ্ডত ধনী প্ৰটেষ্টাণ্ট আলষ্টাৰে দুখীয়া কেথলিক আয়াৰলেণ্ডৰ লগত থাই থাব বুলি ভয় কৰিছিল।

বৃটিছ পাৰ্লিয়ামেণ্টত আৰু আয়াৰলেণ্ডত দুটা নতুন শব্দৰ প্ৰচলন হৈছিল, সেই দুটা আছিল 'হোম-ৰুল'। আয়াৰলেণ্ডৰ দাবীক সেই কালত 'হোম-ৰুল' বোলা হৈছিল। এইটো মাত্ৰা বহুতৰ পুৰণি স্বাধীনতাৰ দাবীতকৈ বহুতো কম আৰু বহু বেলেগ আছিল। ইয়াৰ অৰ্থ আছিল এই যে আয়াৰলেণ্ডৰ কাৰণে ডাবলীনত এখন পাৰ্লামেণ্টে স্থানীয় বিষয়বিলাক চলাব আৰু বৃটিছ পাৰ্লামেণ্টে

কিছুমান প্ৰধান বিষয়ত আগৰ দৰে আধিপত্য চলাই থাকিব। বহুতো আইৰিছ মানুহ স্বাধীনতাৰ পুৰণি দাবীটো এইদৰে টুলুঙা কৰিবলৈ মান্তি নহৈছিল। কিন্তু দেশখন বিদ্ৰোহ আৰু কন্দলত জুৰুলা হৈছিল আৰু সেইদেখি বিদ্ৰোহৰ বিফল চেষ্টাত অৱতীৰ্ণ হবলৈ অমান্তি হ'ল।

বৃটেনৰ নিম্ন সদনত (হাউচ অব কমন্সত) চাৰ্লছ ষ্টুৱাৰ্ট পাৰ্নেল নামৰ এজন আইৰিছ সদস্য আছিল। তেওঁ উপলব্ধি কৰিছিল যে বৃটেনৰ ৰক্ষণশীল আৰু উদাৰনৈতিক দল দুটাৰ কোনোটোৱেই আয়াৰলেণ্ডৰ কাৰণে অকণো মন নকৰিছিল, সেই কাৰণে তেওঁ বিনয়ী সংসদী খেলাখন খেলি থাকিবলৈ তেওঁলোকৰ কাৰণে কষ্টসাধ্য কৰি তুলিবলৈ তেওঁ সিদ্ধান্ত কৰিলে। আন কেইজনমান আইৰিছ সদস্যৰ লগ লৈ তেওঁ দীঘলীয়া বক্তৃতাৰে আৰু অকল হেমাহিৰ সৃষ্টি কৰিবৰ কাৰণে লগোৱা আন আন কৌশলেৰে সংসদৰ কামত বাধা দিবলৈ ধৰিছিল। ইংৰাজবিলাক এইবিলাক কৌশলত বৰকৈ বিৰক্ত হৈছিল, তেওঁলোকে কৈছিল যে সেইবিলাক সংসদৰ বা ভদ্ৰলোকৰ যোগ্য কৌশল নহয়। কিন্তু এইবিলাক সমালোচনাই পাৰ্নেলক নটলাইছিল। তেওঁ ইংৰাজে কৰা নিয়ম অনুসাৰে ইংৰাজৰ বিনয়ী সংসদী খেলা খেলিবলৈ সংসদলৈ যোৱা নাছিল। তেওঁ আয়াৰলেণ্ডৰ সেৱা কৰিবৰ অৰ্থে তালৈ গৈছিল, তেওঁ তেতিয়া সাধাৰণ নিয়মমতে সেই কাম কৰিব নোৱাৰিছিল; তেতিয়া অসাধাৰণ পদ্ধতি প্ৰয়োগ কৰা সম্পূৰ্ণ যুক্তিসঙ্গত হৈছিল বুলি তেওঁ বিবেচনা কৰিছিল। যি কি নহওক, তেওঁ আয়াৰলেণ্ডৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰোৱাত কৃতকাৰ্য হৈছিল।

বৃটেনৰ নিম্ন সদনত পাৰ্নেল আয়াৰলেণ্ডৰ 'হোম-ৰুল' বিচৰা দলৰ নেতা হৈছিল আৰু সেই দলটো বৃটেনৰ পুৰণি দল দুটাৰ কাৰণে আপদ স্বৰূপ হৈছিল। যেতিয়া এই দল দুটাৰ শক্তি প্ৰায় সমান হৈছিল, তেতিয়া আইৰিছ স্বায়ত্ত শাসনৰ দলটোৱে যেই সেই এটা দলত পাৰ্থক্য ঘটাব পাৰিছিল। এইদৰে আয়াৰলেণ্ডৰ প্ৰশ্নটো সদায় প্ৰধান কৰি ৰখা হৈছিল। অৱশেষত আয়াৰলেণ্ডক স্বায়ত্তশাসন দিবলৈ গ্লেডষ্টোন মান্তি হৈ ১৮৮৬ খ্ৰীঃত তেওঁ নিম্ন সদনত স্বায়ত্ত শাসনৰ আঁচনি এখন উত্থাপিত কৰিলে। এই আঁচনিখনত অতি কম পৰিমাণৰ স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰা হৈছিল, কিন্তু সিয়েই এটা তীব্ৰ আন্দোলনৰ সৃষ্টি কৰিলে। তেওঁলোক আয়াৰলেণ্ডক সংযোগ দিয়াৰ পক্ষপাতী আছিল কাৰণে তেওঁলোকক 'ইউনিয়নিষ্ট' বোলা হৈছিল। স্বায়ত্ত শাসনৰ আঁচনিখন অগ্ৰাহ্য হ'ল আৰু লগে লগে গ্লেডষ্টোনৰ পতন হ'ল।

সাত বছৰৰ পাছত ১৮৯৩ খ্ৰীঃত সেই কালত আশী বছৰীয়া গ্লেডষ্টোন পুনৰ প্ৰধান মন্ত্ৰী হৈছিল। তেওঁ দ্বিতীয়বাৰ তেওঁৰ স্বায়ত্ত শাসনৰ আঁচনিখন উত্থাপিত কৰাত নিম্ন সদনত মুঠামুঠি সংখ্যা গৰিষ্ঠতাত আঁচনিখন কোনোমতে গৃহীত হৈছিল। কিন্তু সকলো আঁচনি আইনত পৰিণত হোৱাৰ আগতে উচ্চ সদনত ('হাউচ অব্ লৰ্ডচ্'ত) গৃহীত হব লাগে, আৰু উচ্চ সদনখন ৰক্ষণশীল আৰু প্ৰতিক্ৰিয়াশীল লোকেৰে পৰিপূৰ্ণ আছিল। এই সদনত নিৰ্বাচিত সদস্য নাছিল। ই ডাঙৰ

জমিদাৰবিলাক পুৰুষানুক্ৰমে চলা সদন আছিল আৰু কেইজনমান 'বিছপ' তেওঁলোকৰ লগত আছিল। এই উচ্চ সদনখনে নিম্ন সদনত গৃহীত হোৱা স্বায়ত্ত শাসনৰ আঁচনিখন অগ্ৰাহ্য কৰিলে।

এইদৰে সংসদত চলোৱা চেষ্টাৰে আয়াৰলেণ্ডে যি বিচাৰিছিল তাক পাব নোৱাৰিছিল। তথাপি আয়াৰলেণ্ডৰ জাতীয়তাবাদী দলে (বা 'হোমৰুল পাৰ্টি'য়ে) কৃতকাৰ্য হব বুলি আশা পালি সংসদত কাম চলাই আছিল আৰু মুঠতে কবলৈ হ'লে আয়াৰলেণ্ডৰ জনসাধাৰণৰ তেওঁলোকৰ ওপৰত আস্থা আছিল। কিন্তু এনে মানুহো বহুত আছিল যিবিলাকে এইবিলাক পদ্ধতিত আৰু বৃটিছ সংসদত বিশ্বাস হেৰুৱাইছিল। বহুতো আইৰিছ মানুহৰ ৰাজনীতি শব্দটোৱে সংকীৰ্ণ অৰ্থত যি বুজায় তেনে ৰাজনীতিলৈ অলপ বিতৃষ্ণা হোৱাত তেওঁলোক সাংস্কৃতিক আৰু অৰ্থনৈতিক কাৰ্য-কলাপত লিপ্ত হৈছিল। বিংশ শতাব্দীৰ আৰম্ভণি ভাগৰ বছৰ বিলাকত আয়াৰলেণ্ডত সংস্কৃতি বিষয়ত নৱ-জাগৰণ হৈছিল, বিশেষকৈ দেশৰ পুৰণি ভাষা গেলিকৰ পুনৰ প্ৰচলনৰ চেষ্টা কৰা হৈছিল সেই ভাষাটো তেতিয়াও পশ্চিমফালে গাৱঁলীয়া অঞ্চলত তানকৈ প্ৰচলিত আছিল। এই গেলিক ভাষাৰ চহকী সাহিত্য আছিল; কিন্তু বহু শতাব্দীৰ ইংৰাজৰ আধিপত্যই ইয়াক চহৰবিলাকৰপৰা বিতাৰিত কৰিছিল আৰু ই ক্ৰমে লোপ পাব ধৰিছিল। আইৰিছ জাতীয়তাবাদীবিলাকে অনুভৱ কৰিছিল যে আয়াৰলেণ্ডে নিজৰ আভ্যন্তৰীণ শক্তি আৰু সংস্কৃতি নিজৰ ভাষাৰ মাধ্যমেদিহে ৰক্ষা কৰিব পাৰিব। সেই কাৰণে তেওঁলোকে পশ্চিমফালৰ গাওঁবিলাকৰপৰা ইয়াক খান্দি উলিয়াই প্ৰচলিত ভাষা কৰিবলৈ কঠোৰ শ্ৰম কৰিছিল। এই উদ্দেশ্যে গেলিক সংঘ এটা স্থাপন কৰা হৈছিল। সকলো ঠাইতে, বিশেষকৈ পৰাধীন দেশবিলাকত, দেশৰ ভাষাটোক মূল কৰি জাতীয় আন্দোলন চলোৱা হয়। বিদেশী ভাষাক মূল কৰি চলোৱা কোনো আন্দোলন জনসাধাৰণৰ মাজলৈ যাব বা স্থায়ী হ'ব নোৱাৰে। আয়াৰলেণ্ডত ইংৰাজী ভাষাটো বিদেশী ভাষা বুলি ধৰাই টান। ইয়াক প্ৰায় সকলোৱে জানিছিল। তথাপি আইৰিছ জাতীয়তাবাদীবিলাকে বিবেচনা কৰিছিল যে তেওঁলোকৰ প্ৰাচীন সংস্কৃতিৰ লগত সম্পৰ্ক ছেদ হ'বৰ কাৰণে গেলিক ভাষাৰ পুনৰ প্ৰচলন অতি আৱশ্যক।

সেই কালত আয়াৰলেণ্ডত এনে এটা ভাব হৈছিল যে শক্তি ভিতৰৰপৰা আহে, বাহিৰৰপৰা নাহে। পাৰ্লামেণ্টত চলোৱা কেৱল ৰাজনৈতিক কাৰ্যকলাপৰ বিষয়ত তেওঁলোকৰ ভ্ৰম ভাগিছিল, সেই কাৰণে জাতিটোক বেছি সুস্থিৰ ভেটিত প্ৰতিষ্ঠিত কৰিবলৈ চেষ্টা চলোৱা হৈছিল। বিংশ শতাব্দীৰ আৰম্ভণি ভাগৰ বছৰ বিলাকৰ নতুন আয়াৰলেণ্ডৰ পুৰণি আয়াৰলেণ্ডতকৈ বেলেগ আছিল আৰু নৱ-জাগৰণে বহুত ফালে তাৰ প্ৰভাৱ বিস্তাৰ কৰিছিল; মই ওপৰত কোৱাৰ দৰে সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত, আৰু অৰ্থনীতিৰ ক্ষেত্ৰতো তাৰ প্ৰভাৱ পৰিছিল, অৰ্থনীতি ক্ষেত্ৰত সমবায়ৰ ভেটিত কৃষকবিলাকক সংগঠিত কৰিবলৈ চেষ্টা কৰি কৃতকাৰ্যতা লাভ কৰা হৈছিল।

কিন্তু এই সকলোবিলাকৰ লগত সংশ্লিষ্ট আছিল যুক্তিৰ কাৰণে তীব্ৰ হেঁপাহ,

আৰু যদিও বৃটিছ্‌ পাৰ্লামেণ্টৰ আইৰিছ্‌ জাতীয়তাবাদী দল আইৰিছ্‌ জনসাধাৰণৰ আস্থাভাজন হৈ থকা যেন দেখা গৈছিল, তথাপি তেওঁলোকৰ ওপৰত থকা বিশ্বাস কমিছিল। তেওঁলোকক বক্তৃতা দিবলৈ ভালপোৱা আৰু কোনো কাম কৰিবলৈ অক্ষম ৰাজনীতিত লাগি থকা মানুহ বুলি মাথোন ভবা হৈছিল। পুৰণি ফেনিয়ান-বিলাকে আৰু স্বাধীনতাত বিশ্বাসী আনবিলাকে অৱশ্যে এই সংসদী ৰাজনীতিত লাগি থকা মানুহবিলাকক আৰু তেওঁলোকৰ স্বায়ত্ত শাসনত কেতিয়াও বিশ্বাস নকৰিছিল। কিন্তু এই কালত নতুন আৰু নৱজন্ম পোৱা আয়াৰলেণ্ডেও পাৰ্লা-মেণ্টৰপৰা আঁতৰলৈ চাব ধৰিছিল। আত্ম-সাহায্যৰ ভাব চৌদিশে ব্যাপ্ত হৈছিল; সেই ভাববিলাক ৰাজনীতিত লগোৱা নহয় কিয়? পুনৰ শসস্ত্ৰ বিদ্ৰোহৰ ভাব জনসাধাৰণৰ মনত খেলিবলৈ ধৰিছিল। কিন্তু কামলৈ হোৱা এই স্পৃহাক নতুন এটা দিশত লগোৱা হৈছিল। আৰ্থাৰ গ্ৰিফিট নামৰ আইৰিছ্‌ ডেকা এজনে এটা নীতি প্ৰচাৰ কৰিবলৈ লৈছিল, এই নীতিটো 'চিন ফেইন' নামে জনাজাত হৈছিল, ইয়াৰ অৰ্থ 'আমি নিজে'।

এই শব্দ দুটাই ইয়াৰ লগত সংশ্লিষ্ট থকা নীতিটোৰ আভাস দিয়ে। চিন ফেইন নীতি মনা মানুহবিলাকে বাঞ্ছা কৰিছিল যে আয়াৰলেণ্ডে নিজৰ ওপৰত নিৰ্ভৰ কৰিব আৰু ইংলেণ্ডৰ সহায় বা বদান্যতাৰ মুখাপেক্ষী নহ'ব; তেওঁলোকে জাতিটোৰ ভিতৰৰপৰা ইয়াৰ শক্তি প্ৰতিষ্ঠিত কৰিব খুজিছিল। তেওঁলোকে গেলিক আন্দোলন আৰু সাংস্কৃতিক পুনৰুত্থান সমৰ্থন কৰিছিল। ৰাজনীতিত তেওঁলোকে সংসদত চলাই থকা ব্যৰ্থ কামবিলাক নামঞ্জুৰ কৰিছিল, সেইবিলাকৰ পৰা তেওঁলোকে একো ফল আশা নকৰিছিল। আনফালেদি তেওঁলোকে সশস্ত্ৰ বিদ্ৰোহ সন্তৱপৰ বুলি নেভাবিছিল। তেওঁলোকে বৃটিছ্‌ চৰকাৰৰ লগত একপ্ৰকাৰ অসহযোগৰদ্বাৰা প্ৰত্যক্ষ সংগ্ৰাম চলোৱাৰ কথা প্ৰচাৰ কৰিছিল, এই প্ৰত্যক্ষ সংগ্ৰাম সংসদী কামৰ বিৰোধী আছিল। আৰ্থাৰ গ্ৰিফটে হাঙ্গেৰিৰ দৃষ্টান্ত দিছিল। সেই দেশত এপুৰুষ আগতে নিষ্ক্ৰিয় প্ৰতিৰোধৰ নীতি এটা সফল হৈছিল আৰু তেওঁ ইংলেণ্ডক বাধ্য কৰিবৰ অৰ্থে তেনে ধৰণৰ নীতি গ্ৰহণ কৰিবলৈ আইৰিছ্‌ মানুহক মান্তি কৰাব খুজিছিল।

যোৱা তেৰ বছৰৰ ভিতৰত ভাৰতবৰ্ষত আমি বিভিন্ন প্ৰকাৰৰ অসহযোগ বহুতো পৰিমাণে চলাই থাকিব লগা হৈছিল; আৰু আয়াৰলেণ্ডত আমাৰ দেশতকৈ আগেয়ে চলোৱা অসহযোগক আমাৰ অসহযোগৰ লগত তুলনা কৰি চোৱাটো কৌতূহলজনক হব। সকলোৱে জানে যে অহিংসা আমাৰ আন্দোলনটোৰ মূল। আয়াৰলেণ্ডত তেনে ভিত্তি বা পটভূমি নাছিল; তথাপি শান্তিপূৰ্ণ নিষ্ক্ৰিয় প্ৰতিৰোধত প্ৰত্নাৱিত অসহযোগৰ শক্তি নিহিত আছিল। সংগ্ৰামটো মূলতঃ শান্তিপূৰ্ণ হ'ব লাগিছিল।

চিন ফেইন নীতিৰ ভাবলিাক ধীৰে ধীৰে আয়াৰলেণ্ডৰ ডেকা-গাভৰুৰ মাজত বিস্তৃত হৈছিল। এইবিলাকৰ কাৰণে আয়াৰলেণ্ড হঠাৎ উত্তেজিত নহৈছিল। তেতিয়াও দেশত এনে বহুত মানুহ আছিল যিবিলাকে বিশেষকৈ উদাৰনৈতিক দলটো ১৯০৬ খ্ৰীঃত বিৰাট সংখ্যা গৰিষ্ঠতা পুনৰ ক্ষমতাত অধিষ্ঠিত হোৱা দেখি

পাৰ্লামেণ্টৰপৰা কিবা হ'ব বুলি আশা কৰিছিল। নিম্ন সদনত (হাউচ অব্ কমন্চত) উদাৰনৈতিকবিলাকৰ এনে সংখ্যাগৰিষ্ঠতা হোৱা স্বত্তেও তেওঁলোক উচ্চ সদনত (হাউচ অব্ লৰ্ডচত) ৰক্ষণশীল আৰু সংৰোধৰ পক্ষপাতীবিলাকৰ ভাৰী সংখ্যা গৰিষ্ঠতাৰ সন্মুখীন হ'ব লাগিছিল, আৰু শীঘ্ৰে দুয়ো সদনৰ মাজত সংঘৰ্ষ হৈছিল। এই সংঘৰ্ষৰ ফলত 'লৰ্ড'সকলৰ ক্ষমতা নিয়ন্ত্ৰিত হৈছিল। কিন্তু বিষয়ৰ আইনৰ খাঁচনিত লৰ্ডসকলে বিৰোধিতা কৰিলে সেই খাঁচনি নিম্ন সদনত একাদিক্ৰমে তিনিটা অধিৱেশনত গৃহীত কৰি লৰ্ডসকলৰ হস্তক্ষেপৰ মুৰ মাৰিব পৰা হৈছিল। এইদৰে ১৯১১ খ্ৰীঃৰ 'পাৰ্লামেণ্ট আইন' মতে উদাৰনৈতিকসকলে উচ্চ সদনৰ বিৰুদ্ধত উঠালিছিল। কিন্তু তথাপিও বাধা দিয়া আৰু হস্তক্ষেপ কৰাৰ বহুতো ক্ষমতা লৰ্ডসকলৰ হাতত আছিল।

উদাৰনৈতিকসকলে লৰ্ডসকলৰ অনিবাৰ্য বিৰোধিতাৰ বিৰুদ্ধে ব্যৱস্থা কৰি স্বায়ত্ত শাসনৰ তৃতীয় খাঁচনিখন উত্থাপিত কৰিছিল আৰু ১৯১৩ খ্ৰীঃত ই গৃহীত হৈছিল। আগতে ভবা মতে লৰ্ডসকলে ইয়াক অগ্ৰাহ্য কৰিছিল, তেতিয়া নিম্ন সদনে তিনিটা অধিৱেশনত ইয়াক গৃহীত কৰাৰ আৱনি লগা পদ্ধতিটো শেষ কৰিছিল। ১৯১৪ খ্ৰীঃত ই আইনত পৰিণত হৈছিল আৰু এই আইন আলষ্টাৰে সৈতে সমগ্ৰ আয়াৰলেণ্ডত প্ৰযোজ্য হৈছিল।

অৱশেষত আয়াৰলেণ্ডে স্বায়ত্ত শাসন পাইছিল যেন লাগিছিল, কিন্তু আত বহুত 'কিন্তু' আছিল। ১৯১২-১৩ খ্ৰীঃত যি কালত পাৰ্লামেণ্টত স্বায়ত্ত শাসনৰ তৰ্ক-বিতৰ্ক চলি আছিল, সেই কালত উত্তৰ আয়াৰলেণ্ডত আচৰিত ঘটনা কিছুমান হৈছিল। আলষ্টাৰৰ নেতাবিলাকে ঘোষণা কৰিছিল যে ই আইনত পৰিণত হ'লেও তেওঁলোকে ইয়াক গ্ৰহণ নকৰি ইয়াৰ বিৰুদ্ধাচৰণ কৰিব। বিদ্ৰোহ তোলাৰ কথা কৈ তেওঁলোকে তাৰ কাৰণে সাজু হৈছিল। তেওঁলোকে আনকি এনে বিবৃতিও দিছিল যে স্বায়ত্ত শাসনৰ বিৰুদ্ধে যুঁজিবলৈ তেওঁলোকে বিদেশী শক্তি এটাৰ অৰ্থাৎ জাৰ্মাণীৰ সহায় খুজিবলৈকো পৰাঙ্মুখ নহ'ব। এইটো প্ৰত্যক্ষ আৰু স্পষ্ট ৰাজদ্ৰোহ আছিল। আতোকৈ বেছি বিস্ময়জনক কথা আছিল এই যে ইংলেণ্ডৰ ৰক্ষণশীল দলৰ নেতাসকলে এই ৰাজদ্ৰোহমূলক আন্দোলনৰ প্ৰশংসা কৰিছিল আৰু বহুতে ইয়াক সহায় কৰিছিল। ৰক্ষণশীলৰ শ্ৰেণীবিলাকৰ পৰা আলষ্টাৰলৈ ধনৰ সোঁত বৈছিল। এই কথা দেখ-দেখকৈ ওলাই আছিল যে উচ্চ শ্ৰেণী নাম পোৱা শ্ৰেণীবিলাক বা শাসক শ্ৰেণীটো সাধাৰণতে আলষ্টাৰৰ পক্ষে আছিল আৰু এই শ্ৰেণীবিলাকৰপৰা হোৱা বহুত সামৰিক বিষয়াও তেনে আছিল। গোপনে আলষ্টাৰলৈ অস্ত্ৰ-শস্ত্ৰ নিয়া হৈছিল আৰু প্ৰকাশ্যে স্বেচ্ছাসেৱকবিলাকক যুদ্ধ কৌশলৰ প্ৰশিক্ষণ দিয়া হৈছিল। আনকি আলষ্টাৰত সময় হ'লে শাসনৰ দায়িত্ব লবৰ কাৰণে অস্থায়ী চৰকাৰ এটাও প্ৰতিষ্ঠা কৰা হৈছিল। মন কৰিলে কৌতূহল লগা কথা এইযে এবৃ ই স্মিথ নামৰ পাৰ্লামেণ্টৰ [illegible] ৰক্ষণশীল সদস্য আলষ্টাৰৰ এজন প্ৰধান 'বিদ্ৰোহী' আছিল, তেওঁ পিছত [illegible] বাৰ্কেনহেড হৈ ভাৰত-সচিব হৈছিল আৰু আন আন উচ্চ বিষয়ৰ অধিকাৰী [illegible]

যুদ্ধপূৰ্বক বিদ্ৰোহবিলাক যথেষ্ট সাধাৰণ ঘটনা, আৰু বিশেষকৈ আয়াৰলেণ্ডে সেইবিলাকৰ পূৰা ভাগ পাইছিল। তথাপি আলষ্টাৰত বিদ্ৰোহৰ কাৰণে চলোৱা এই আয়োজনবিলাকলৈ আমাৰ বিশেষ কৌতূহল হয়, কাৰণ যি দলটোৱে নিজৰ সাংবিধানিক আৰু ৰক্ষণশীল পদ্ধতিৰ কাৰণে গৰ্ব কৰিছিল, সেই একেটা দলেই এই বিদ্ৰোহৰ প্ৰতিষ্ঠাপক আছিল। এইটোৱে সদায় 'আইন শৃঙ্খলাৰ কথা কৈছিল আৰু যিবিলাক এই আইন আৰু শৃঙ্খলাত জগৰ লগাইছিল তেওঁলোকক উগ্ৰ শাস্তি দিয়াৰ ই পক্ষপাতী আছিল। তথাপি এই দলৰে প্ৰধান মানুহে প্ৰকাশ্যে ৰাজদ্ৰোহৰ কথা কৈ সশস্ত্ৰ বিদ্ৰোহৰ আয়োজন কৰিছিল আৰু তেওঁলোকৰ অনুচৰবিলাকে ধন দি তাত সাহায্য কৰিছিল। এইটোও লক্ষ্য কৰিবলগীয়া কৌতূহলজনক কথা যে এই আয়োজিত বিদ্ৰোহ আছিল পাৰ্লামেণ্টৰ কৰ্তৃত্বৰ বিৰুদ্ধে আৰু এই পাৰ্লামেণ্টেই স্বায়ত্ত শাসনৰ আঁচনিখনৰ বিষয়ে আলোচনা চলাই থাকি পিছত ইয়াক গৃহীত কৰিছিল। এইদৰে এই বিদ্ৰোহে গণতন্ত্ৰৰ ভেটিকে আক্ৰমণ কৰিছিল আৰু ইংৰাজবিলাকে আইনৰ ৰাজত্বত আৰু সাংবিধানিক কাৰ্য-কলাপত বিশ্বাস কৰে বুলি যি গৰ্ব কৰিছিল, ই সেই পুৰণিকলীয়া গৰ্বতো অমূলক কৰিছিল।

১৯১২-১৪ খ্ৰীঃৰ আলষ্টাৰৰ 'বিদ্ৰোহ' এই ছলনাবিলাকৰ আৰু বৰ বৰ কথাৰ ঢাকনিখন ফালি চৰকাৰ আৰু গণতন্ত্ৰৰ প্ৰকৃত ৰূপটো প্ৰকাশ কৰিছিল। যিমান দিনলৈকে 'আইন আৰু শৃঙ্খলা' ই শাসক শ্ৰেণীৰ আছুতীয়া স্বত্ব আৰু স্বাৰ্থ ৰক্ষা কৰাৰ কথা বুজাইছিল, সিমান দিনলৈকে আইন শৃঙ্খলা বাঞ্ছনীয় হৈ আছিল, যিমান দিনলৈকে গণতন্ত্ৰই এই আছুতীয়া স্বত্ব আৰু স্বাৰ্থবিলাকত বাধা নজন্মাইছিল, সিমান দিনলৈকে ইয়াক সহ্য কৰিব পৰা হৈছিল। কিন্তু যেতিয়াই এই আছুতীয়া স্বত্ববিলাকত আক্ৰমণ চলোৱা হৈছিল, তেতিয়া এই শ্ৰেণীটোৱে যুদ্ধ কৰিছিল। এইদৰে 'আইন আৰু শৃঙ্খলা' মুঠেই এটা মনোহৰ বাক্যাংশ আছিল, তেওঁলোকৰ কাৰণে ইয়াৰ অৰ্থ হৈছিল তেওঁলোকৰ নিজৰ স্বাৰ্থ। ইয়াৰ পৰা এই কথাটো স্পষ্ট হৈছিল যে বৃটিছ চৰকাৰ স্বৰূপতে এটা শ্ৰেণীৰ চৰকাৰ আছিল আৰু পাৰ্লামেণ্টৰ সংখ্যাগৰিষ্ঠতায়ো ইয়াক সহজতে গাদীৰপৰা আঁতৰাব নোৱাৰিছিল। যেতিয়াই এই সংখ্যা গৰিষ্ঠতাই তেওঁলোকৰ আছুতীয়া স্বত্ব কমোৱা কোনো এটা সমাজবাদী আইন গৃহীত কৰাবলৈ চেষ্টা কৰিছিল, তেতিয়াই গণতান্ত্ৰিক নীতিৰ সত্বেও তেওঁলোকে ইয়াৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। এই কথাটো মনত ৰখা ভাল হ'ব, কাৰণ ই সকলো দেশতে প্ৰযোজ্য; সাধুবাক্য আৰু উচ্চৈস্বৰে প্ৰশংসা কৰি থকা কথাৰ মেৰজালত আমি এই বাস্তৱতাটো পাহৰিব পাৰোঁ। এই বিষয়ত সঘনে বিদ্ৰোহ হৈ থকা দক্ষিণ আমেৰিকাৰ গণৰাষ্ট্ৰ এখনৰ লগত স্থায়ী শাসন ব্যৱস্থা থকা ইংলেণ্ডৰ কোনো মৌলিক পাৰ্থক্য নাই। স্থায়িত্ব থাকে শাসক শ্ৰেণীবিলাক নিৰাপদকৈ প্ৰতিষ্ঠিত হোৱাত আৰু যেতিয়ালৈকে তেওঁলোকক আঁতৰাবলৈ যথেষ্ট শক্তিশালী আন এটা শ্ৰেণী নোলায় তেতিয়ালৈকে। ১৯১১ খৃঃত তেওঁলোকৰ এক ৰকম উচ্চ সদনখনক 'হাউচ অৱ্ লৰ্ডচ'ক দুৰ্বল কৰা হৈছিল, তেতিয়া তেওঁলোকে ভয় খাইছিল আৰু আলষ্টাৰ তেওঁলোকৰ বিদ্ৰোহৰ অজুহাত হৈছিল।

ভাৰতবৰ্ষত অৱশ্যে 'আইন আৰু শৃংখলা'—এই বাধু লগা শব্দকেইটা আমাৰ মাজত নিতৌ আৰু প্ৰতিদিনে বহুতবাৰ ব্যৱহাৰ হৈ আছে। সেই কাৰণে ইয়াৰ প্ৰকৃততে কি বুজায় তাক মনত ৰখা ভাল হয়। আমি এই কথাটোও মনত ৰাখিব পাৰোঁ যে আমাৰ এজন জ্ঞানী পথপ্ৰদৰ্শদাতা ভাৰত-সচিবজন আলষ্টাৰৰ বিদ্ৰোহৰ নেতা আছিল।

এইদৰে আলষ্টাৰে অস্ত্ৰ-শস্ত্ৰ আৰু স্বেচ্ছাসেৱককেৰে সৈতে বিদ্ৰোহৰ আয়োজন কৰিছিল আৰু চৰকাৰে শান্তভাৱে চাই আছিল। এই আয়োজনবিলাকৰ বিৰুদ্ধে কোনো জৰুৰী আইন কৰা হোৱা নাছিল। কিছুদিনৰ পাছত আয়াৰলেণ্ডৰ অৱশিষ্ট ভাগে আলষ্টাৰৰ অনুকৰণত 'জাতীয় স্বেচ্ছাসেৱক' সংগঠন কৰিবলৈ আৰম্ভ কৰিছিল, কিন্তু স্বায়ত্ত শাসনৰ কাৰণে আৰু আৱশ্যক হলে আলষ্টাৰৰ বিৰুদ্ধে যুঁজিবলৈহে এনে কৰা হৈছিল। এইদৰে আয়াৰলেণ্ডত প্ৰতিদ্বন্দ্বী সৈন্য-বাহিনী দুটা প্ৰতিষ্ঠিত হৈছিল। জানিলে আচৰিত হ'ব লগীয়া কথা যে যি বৃটিছ কৰ্তৃপক্ষই আলষ্টাৰৰ বিদ্ৰোহৰ কাৰণে স্বেচ্ছাসেৱকবিলাকক অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত কৰাবলৈ আওকাণ কৰিছিল, সেই কৰ্তৃপক্ষ 'জাতীয় স্বেচ্ছাসেৱকবিলাকক দমন কৰাত বৰ বেছিকৈ তৎপৰ হৈছিল, যদিও এইবিলাক স্বায়ত্ত শাসনৰ আঁচনি-খনৰ বিৰোধী নাছিল।

এই দুবিধ স্বেচ্ছাসেৱকৰ মাজত সংঘাত অনিবাৰ্য যেন দেখা গৈছিল, আৰু সেয়ে হোৱা হলে তাৰ অৰ্থ হ'লহেঁতেন গৃহযুদ্ধ। ঠিক সেই সময়তে ১৯১৪ খ্ৰীঃৰ আগষ্ট মাহত বিশ্বযুদ্ধখন আৰম্ভ হৈছিল আৰু ইয়াৰ সন্মুখত আন সকলো-বিলাক কথা তল পৰিছিল। স্বায়ত্তশাসনৰ আঁচনিখন প্ৰকৃততে আইনত পৰিণত হৈছিল, কিন্তু লগে লগে তাত চৰ্ত প্ৰয়োগ কৰা হৈছিল যে যুদ্ধখন শেষ হোৱাৰ আগতে তাক কামত লগোৱা হ'ব নোৱাৰিব। এইদৰে স্বায়ত্ত শাসন আগেয়ে যিমান দূৰৈত আছিল, তেতিয়াও সিমান দূৰৈত আছিল, আৰু যুদ্ধখন শেষ হোৱাৰ আগতে আয়াৰলেণ্ডত বহুতো ঘটনা ঘটিছিল।

বিশ্বযুদ্ধখন লগাৰ সময়লৈকে মই বিভিন্ন দেশৰ বৃত্তান্ত দিছোঁ। আমি আয়াৰলেণ্ডৰ এই পৰ্যায়লৈকে আহিলোঁ, সেই কাৰণে সম্প্ৰতি আমি ইয়াতে উচিত হ'ব। কিন্তু এই চিঠিখন শেষ কৰাৰ আগতে এটা কথা মই তোমাক কোৱা উচিত হ'ব। আলষ্টাৰৰ বিদ্ৰোহৰ নেতাবিলাকক তেওঁলোকৰ কাৰ্য-কলাপৰ বাবে শাস্তি দিয়াৰ পৰিবৰ্তে তেওঁলোকক বৃটিছ মন্ত্ৰীসভাৰ মন্ত্ৰী আৰু বৃটিছ চৰকাৰৰ উচ্চ বিষয়-বাব চলোৱা বিষয়া পতা হৈছিল।

১৪১

বৃটেনে মিছৰ অধিকাৰ কৰি তাত খোপনি পুতি আছে

১১ মাৰ্চ, ১৯৩৩

আমেৰিকাৰপৰা দীঘলীয়া এটা জাপ মাৰি আমি আটলাণ্টিক মহাসাগৰ পাৰ হৈ আয়াৰলেণ্ডলৈ গৈছিলোঁ। এতিয়া পুনৰ এটা জাপ মাৰি আমি তৃতীয় এখন মহাদেশ মিছৰ দেশলৈ আৰু বৃটিছ সাম্ৰাজ্যবাদৰ আন এটা বলি স্বৰূপ চাওঁ। তোমালৈ লিখা মোৰ কিছুমান চিঠিত মিছৰৰ প্ৰাচীন বুৰঞ্জীৰ উল্লেখ কৰা হৈছে। মোৰ নিজৰ অজ্ঞতাৰ কাৰণে সেই উল্লেখবিলাক চুটি আৰু ডোখৰা ডুখৰি আছিল। মই এই বিষয়ে যিমান জানো তাতকৈ বেছি জনাহেঁতেনো এই স্বৰত মই পুনৰ প্ৰাচীন কাললৈ উলটি যাব নোৱাৰিলোহেঁতেন। অৱশেষত আমি ১৯শ শতাব্দীৰ বৃত্তান্ত প্ৰায়ে শেষ কৰি বিংশ শতাব্দীৰ দুৱাৰদলিলৈ আহিলোঁ আৰু তাতে আমি থকা উচিত হ'ব। সকলো সময়তে আমি আগলৈ মোৰা আৰু পাছলৈ মোৰা কৰি থাকিব নোৱাৰোঁ। তদুপৰি মই যদি প্ৰত্যেকখন দেশৰে অতীতৰ কাহিনী কবলৈ চেষ্টা কৰোঁ, তেনেহ'লে এই চিঠিবোৰ কেতিয়াবা অন্ত পৰিবনে ?

তথাপি মই তোমাক এনে ভাবিবলৈ দিব নোখোজোঁ যে মিছৰৰ কাহিনীটো প্ৰায় সম্পূৰ্ণ মূল্যহীন। কাৰণ জাতিবিলাকৰ ভিতৰত মিছৰ অতি প্ৰাচীন আৰু আন দেশতকৈ ই আমাক বেছি অতীতলৈ নিয়ে আৰু ইয়াৰ যুগবিলাক সামান্য শতাব্দীৰ লেখ কৰা নহয়, হাজাৰ হাজাৰ বছৰতহে লেখ কৰা হয়। বিস্ময়কৰ আৰু শ্ৰদ্ধা-ভক্তি উদ্ৰেক কৰা ভগ্নাৱশেষবিলাকে এতিয়াও এই সুদূৰ অতীতৰ কথা সোঁৱৰাই থাকে। মিছৰ পুৰাতত্ত্ব বিষয়ৰ প্ৰাচীনতম আৰু শ্ৰেষ্ঠ গৱেষণাৰ থল আছিল ; আৰু যেতিয়া পাথৰৰ স্মৃতি স্তম্ভবিলাক আৰু আন স্মৃতি চিনবিলাক বালিৰ তলৰপৰা খান্দি উলিওৱা হৈছিল, তেতিয়া সেইবিলাক বহুকালৰ পূৰ্বে মিছৰীয়বিলাক শক্তিশালী হৈ থকাৰ দিনৰ মনোমোহা কাহিনী কৈছিল। খান্দি আৱিষ্কাৰ কৰাৰ এই প্ৰণালীটো এতিয়াও চলি আছে আৰু ই মিছৰৰ প্ৰাচীন বুৰঞ্জীৰ পৃষ্ঠা বঢ়াইছে। ই কেতিয়া কেনেকৈ আৰম্ভ হৈছিল তাক আমি এতিয়াও কব নোৱাৰোঁ। অতীতত প্ৰায় সাত হেজাৰ বছৰৰ পূৰ্বে নীল নদীৰ উপত্যকতাত সভ্য মানুহে বাস কৰিছিল আৰু অতীতত তেওঁলোকৰ সাংস্কৃতিক উন্নতিৰ এটা

দীঘলীয়া ইতিবৃত্ত আছিল। তেওঁলোকে 'হিয়েৰো গ্লিফিক' নামৰ চিত্রৰ আখৰেৰে লিখিছিল; তেওঁলোকে ধুনীয়া মাটিৰ পাত্র আৰু কলহ, সোণ, তাম আৰু হাতী-দাঁতৰ আৰু 'আলবাষ্টাৰ' নামৰ স্বচ্ছ এবিধ চুণশিল কাটি বিভিন্ন প্ৰকাৰৰ পাত্র নিৰ্মাণ কৰিছিল।

আন কি, খ্ৰীষ্ট পূৰ্ব চতুৰ্থ শতাব্দীত মেচিডনৰ আলেকজেণ্ডাৰে মিছৰ অধিকাৰ কৰাৰ পূৰ্বে মিছৰৰ ৩১ টা ৰাজবংশই তাত ৰাজত্ব কৰিছিল বুলি ভবা হয়। চাৰিশ কি পাঁচশ বছৰৰ এই বিশাল যুগটোৰ কিছুমান পুৰুষ-মহিলাৰ কিছুমান বিস্ময়কৰ মূৰ্তি আজিও জিলিকি আছে আৰু সেইবিলাক আজিও সজীৱ যেন লাগে; সেইবিলাকৰ ভিতৰত আছে কৰ্মী পুৰুষ মহিলা, শ্ৰেষ্ঠ নিৰ্মাণকাৰী, মহৎ দাৰ্শনিক আৰু চিন্তাশীল লোক, যোদ্ধা, স্বেচ্ছাচাৰী আৰু অত্যাচাৰী ৰজা, অহঙ্কাৰী আৰু মদগৰ্বী শাসক আৰু সুন্দৰী মহিলা। হাজাৰ হাজাৰ বছৰ জুৰি থকা এজনৰ পাছত আনজনকৈ ফাৰাওসকলৰ দীঘলীয়া শাৰি এটা আমাৰ সন্মুখেদি পাৰ হৈ যায়। মহিলাসকলৰ পূৰ্ণ স্বাধীনতা আৰু তেওঁলোকো শাসক আছিল। সেইখন ধৰ্ম-যাজকৰ আধিপত্য থকা দেশ আছিল আৰু মিছৰীয়বিলাক সদায় ভৱিষ্যতৰ আৰু পৰকালৰ চিন্তাত মগ্ন আছিল। যিবিলাক বিশাল 'পিৰামিড' জোৰ কৰি কামত লগোৱা বনুৱাৰ হতুৱাই তেওঁলোকৰ ওপৰত ভীষণ নিষ্ঠুৰতা চলাই কৰোৱা হৈছিল, সেইবিলাক ফাৰাওসকলৰ ভৱিষ্যতৰ একপ্ৰকাৰৰ ব্যৱস্থাৰ কাৰণেই কৰোৱা হৈছিল। 'মামি' বিলাকো মানুহৰ দেহাটো ভৱিষ্যতৰ কাৰণে ৰক্ষা কৰাৰ এটা উপায় আছিল। এই সকলোবিলাক বৰং বিষণ্ন, কঠোৰ আৰু নিৰানন্দ যেন লাগে। আকৌ আমি জানিব পাৰিছোঁ যে পুৰুষৰ কৃত্রিম চুলি আছিল, কাৰণ তেওঁলোকে মূৰ টকলাকৈ খুৰাইছিল আৰু ল'ৰা-ছোৱালীৰ কাৰণে পুতলা আছিল। শিশুৰ ধুৰণীয়া বস্তুৰ আৰু লৰচৰ কৰিব পৰা অঙ্গ-প্ৰত্যঙ্গৰ সৰু সৰু বস্তুৰ পুতলা আছিল, এই পুতলাবিলাকে হঠাৎ আমাক প্ৰাচীন মিছৰীয়া-বিলাকৰ মানবসুলভ দিশটোৰ কথা সোঁৱৰায় আৰু তেওঁলোকে যুগ-যুগান্তৰ পাৰ হৈ আমাৰ বেছি ওচৰ চাপে যেন লাগে।'

খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীত প্ৰায় বুদ্ধৰ সময়ত পাৰস্যবাসীবিলাকে মিছৰ অধিকাৰ কৰি ইৰাক তেওঁলোকৰ বিশাল সাম্ৰাজ্যখনৰ এখন প্ৰদেশ কৰিছিল, সেই সাম্ৰাজ্য-খন নীল নদীৰপৰা সিন্ধু নদীলৈকে বিস্তৃত আছিল। পাৰস্যৰ এই ৰজাবিলাক আছিল আকিমেনিড ৰজা, তেওঁলোকৰ ৰাজধানী আছিল পাৰ্চেপলিচ। গ্ৰীচ অধিকাৰ কৰিবলৈ চেষ্টা কৰি তেওঁলোক বিফল হৈছিল আৰু শেষত মহাবীৰ আলেকজেণ্ডাৰে তেওঁলোকক পৰাজিত কৰিছিল। মিছৰত আলেকজেণ্ডাৰক পাৰস্যবাসীৰ কঠোৰ শাসনৰপৰা মুক্তিদাতা বুলি অভ্যৰ্থনা কৰা হৈছিল। তেওঁ আলেকজেণ্ড্ৰিয়া নগৰত তেওঁৰ স্মৃতি-স্তম্ভ ৰাখি গৈছিল আৰু এই নগৰ শিক্ষা আৰু গ্ৰীক্ সংস্কৃতিৰ প্ৰখ্যাত কেন্দ্ৰ আছিল।

তোমাৰ মনত পৰিব যে আলেকজেণ্ডাৰৰ মৃত্যুৰ পাছত তেওঁৰ সাম্ৰাজ্যখন তেওঁৰ সেনাপতিবিলাকৰ মাজত বিভক্ত হৈছিল আৰু মিছৰখন টলেমিৰ ভাগত পৰিছিল। টলেমি আৰু তেওঁৰ বংশৰ লোকে বিদেশৰ পৰিবেশৰ নগৰত নিজৰ


বৃটেইনৰ মিচৰ অধিকাৰ
চাইপ্ৰাচ
(বৃটিছ ১৮৭৮)
আলেকজেণ্ড্ৰিয়া
খাল
কায়ৰো
চুয়েজ
ত্ৰিপোলি
(তুৰ্কি)
(তুৰ্কী)
মি চ ৰ
মদিনা
মক্কা
বাৰবাৰ
চু দা ন
ওমডাৰমান
খাৰ্টুম

খাপ খুৱাই লৈছিল আৰু মিচৰৰ ৰীতি-নীতি গ্ৰহণ কৰিছিল, পাৰস্যবাসীক তেৰে নকৰিছিল। তেওঁলোকৰ আচাৰ-ব্যৱহাৰো মিচৰীয়বিলাকৰ নিচিনা হৈছিল, আৰু মিচৰীয়বিলাকে তেওঁলোকক এনেদৰে আদৰি লৈছিল যে তেওঁলোকে যেন ফাৰাওবিলাকৰ প্ৰাচীন ৰাজবংশটোকে চলাই আছিল। টলেমিবিলাকৰ শেষৰ গৰাকী ৰাণী আছিল ক্লিওপেট্ৰা আৰু তেওঁৰ মৃত্যুৰ লগে লগে যি সময়ছোৱা খ্ৰীষ্টাব্দ আৰম্ভ হৈছিল বুলি ভবা হয়, তাৰ কেইবছৰমানৰ পূৰ্বে মিচৰ ৰোমান সাম্ৰাজ্যৰ এখন প্ৰদেশ হৈছিল।

ৰোমে খ্ৰীষ্টিয়ান ধৰ্ম লোৱাৰ বহুকালৰ পূৰ্বে মিচৰে ইয়াক লৈছিল, মিচৰৰ খ্ৰীষ্টানবিলাকক ৰোমানবিলাকে উৎপীড়ন কৰিছিল। সেই কাৰণে তেওঁলোক মৰু ভূমিত লুকাই থাকিব লগা হৈছিল। মৰুভূমিত গোপনে মঠ স্থাপিত হৈছিল আৰু সেই কালত খ্ৰীষ্টিয়ান ধৰ্ম চলা সকলোবিলাক অঞ্চল এইবিলাক মঠৰ সন্ন্যাসীবিলাকে কৰা অলৌকিক কামবিলাকৰ বিষয়ে গুপ্ত ৰহস্য থকা কাহিনীৰে পৰিপূৰ্ণ আছিল। তাৰ পাছত কনষ্টেণ্টাইনে খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰাৰ পাছত যেতিয়া ই ৰোমান সাম্ৰাজ্যৰ ৰাষ্ট্ৰীয় ধৰ্ম হৈছিল, তেতিয়া মিচৰৰ খ্ৰীষ্টিয়ানবিলাকে খ্ৰীষ্ট ধৰ্ম নোলোৱা যিবিলাক মানুহে মিচৰৰ প্ৰাচীন ধৰ্ম মানিছিল (তেওঁলোকক বিধৰ্মী বুলিছিল) আৰু অখ্ৰীষ্টিয়ান মানুহবিলাকক নিষ্ঠুৰভাৱে উৎপীড়ন কৰি প্ৰতিশোধ লবলৈ চেষ্টা কৰিছিল। এই কালত আলেকজেণ্ড্ৰিয়া খ্ৰীষ্টানবিলাকৰ কাৰণে প্ৰখ্যাত কেন্দ্ৰ হৈছিল, কিন্তু খ্ৰীষ্টিয়ান ধৰ্ম ৰাষ্ট্ৰীয় ধৰ্ম হোৱাত মিচৰত এই ধৰ্ম সম্প্ৰদায় আৰু দলবিলাকৰ ধৰ্ম হৈছিল আৰু এইবিলাকে অবিৰতভাৱে পৰস্পৰ কন্দল কৰিছিল আৰু প্ৰভুত্বৰ কাৰণে যুদ্ধ কৰিছিল। এই প্ৰাণনাশী সাম্প্ৰদায়িক আৰু দলীয় সংঘৰ্ষবিলাক এনে এটা আপদ হৈছিল যে দেশৰ মানুহবিলাক সাধাৰণতে এই সম্প্ৰদায়বিলাকৰ প্ৰতি সম্পূৰ্ণ বিতুষ্ট হৈছিল আৰু যেতিয়া আৰৱবিলাক নতুন ধৰ্ম এটা লৈ তালৈ গৈছিল, তেতিয়া তেওঁলোকক সাদৰেৰে অভ্যৰ্থনা কৰা হৈছিল। আৰৱবিলাকে মিচৰ আৰু উত্তৰ আফ্ৰিকা সহজতে অধিকাৰ কৰাৰ ইয়ো এটা কাৰণ আছিল। খ্ৰীষ্টিয়ানবিলাক পুনৰ উৎপীড়িত সম্প্ৰদায় হৈছিল আৰু তেওঁলোকক নিষ্ঠুৰভাৱে দমন কৰা হৈছিল।

এইদৰে মিচৰ খলিফাৰ সাম্ৰাজ্যৰ এখন প্ৰদেশ হৈছিল। আৰবী ভাষা আৰু আৰবী সংস্কৃতি শীঘ্ৰে বিস্তৃত হৈছিল, ইমান বেছিকৈ বিস্তৃত হৈছিল যে মিচৰৰ প্ৰাচীন ভাষা ৰহিত কৰা হৈছিল। দুশ বছৰৰ পাছত নৱম শতাব্দীত বাগদাদৰ খলিফা দুৰ্বল হোৱাৰ লগে লগে তুৰ্কী শাসনকৰ্তাৰ অধীনত মিচৰ আধাআধি স্বাধীন হৈছিল। তিনিশ বছৰৰ পাচত খ্ৰীষ্টিয়ানবিলাকৰ 'ধৰ্মযুদ্ধ'ৰ ('ক্ৰুচেড'ৰ) বীৰ চালাদিন মিচৰৰ চুলতান হৈছিল। চালাদিনৰ অলপ দিনৰ পাছত তেওঁৰ উত্তৰাধিকাৰী এজনে ককেচাচ পৰ্বতৰ অঞ্চলৰপৰা বহুত তুৰ্কী গোলাম নি তেওঁলোকক তেওঁৰ সৈনিক কৰিছিল। এই শ্বেতকায় গোলামবিলাকক 'মামেলুক' বোলা হৈছিল, ইয়াৰ অৰ্থ গোলাম। তেওঁলোকক সৈন্য বাহিনীৰ কাৰণে সাৱধানে বাছি লোৱা হৈছিল আৰু তেওঁলোকৰ গোষ্ঠীটো উৎকৃষ্ট আছিল। কেইবছৰমানৰ ভিতৰত এই মামেলুকবিলাকে বিদ্ৰোহ কৰি তেওঁ-

লোকক নিজৰ গোষ্ঠীৰ এজনক মিছৰৰ চুলতান পাতিছিল। এইদৰে মিছৰত মামেলুকবিলাকৰ শাসন হৈছিল, এই শাসন আঢ়ৈ শতাব্দী চলিছিল, আৰু আধা-আধি স্বাধীনভাৱে আৰু প্ৰায় তিনিশ বছৰ চলিছিল। এইদৰে বিদেশী গোলামৰ এই গোষ্ঠীটোৱে পাঁচশ বছৰ মিছৰত আধিপত্য কৰিছিল, বুৰঞ্জীত ই অসাধাৰণ আৰু অপূৰ্ব পটন্তৰ।

আদিতে যোৱা মামেলুকবিলাক মিছৰত এটা বংশানুক্ৰমিক বৰ্ণ বা শ্ৰেণীত সংগঠিত নহৈছিল। তেওঁলোকে ককেচাচ্ পৰ্বতৰ শ্বেতকায় জাতিবিলাকৰ যিবিলাক গোলাম মুক্ত হৈছিল, সেইবিলাকৰ ভিতৰৰপৰা শ্ৰেষ্ঠবিলাকক বাছি নি তেওঁলোকৰ সংখ্যা বঢ়াইছিল। এই ককেচীয় জাতিবিলাক আৰ্য আছিল, সেই কাৰণে মামেলুকবিলাকো আৰ্য আছিল। মিছৰৰ ভূমিয়ে বিদেশী এই মানুহবিলাকক নুসুজিছিল আৰু কেইপুৰুষমানৰ পাছুতে তেওঁলোকৰ পৰিয়ালবিলাক মৰি শেষ হৈছিল। কিন্তু নতুনকৈ মামেলুক নি থকাৰ কাৰণে এই শ্ৰেণীৰ মানুহৰ সংখ্যা, বিশেষকৈ তেওঁলোকৰ বল আৰু শক্তি সংৰক্ষিত হৈছিল। এইদৰে তেওঁ-লোক পুৰুষানুক্ৰমিক শ্ৰেণী এটা নহৈছিল, তথাপি তেওঁলোকৰ দ্বাৰা এটা অভিজাত আৰু শাসক শ্ৰেণী সংগঠিত হৈছিল আৰু এই শ্ৰেণীটো বহুকাল আছিল।

ষোড়শ শতাব্দীৰ আৰম্ভণি ভাগত কনষ্টাণ্টিনোপলৰ তুৰ্কী অটোমান চুলতানে মিছৰ অধিকাৰ কৰি মামেলুক চুলতানজনক ফাঁচি দিছিল। মিছৰ অটোমান সাম্ৰাজ্যৰ এখন প্ৰদেশ আছিল, কিন্তু তেতিয়াও মামেলুকবিলাক শাসন চলোৱা অভিজাত শ্ৰেণী হৈ আছিল। পিছত যেতিয়া তুৰ্কীবিলাক য়ুৰোপত দুৰ্বল হৈছিল, তেতিয়া যদিও নীতিমতে মিছৰ অটোমান সাম্ৰাজ্যৰ অংশ হৈ আছিল। তথাপি মামেলুকবিলাকে মিছৰত যি কৰিবলৈ ভাল পাইছিল, তেওঁলোকে বহুতো পৰিমাণে তাকে কৰিছিল। ১৮শ শতাব্দীৰ শেষত যেতিয়া নেপোলিয়ন মিছৰলৈ আহিছিল, তেতিয়া তেওঁ এই মামেলুকবিলাকক পৰাজিত কৰিছিল। মই তোমাক আগতে কোৱা সম্ভ্ৰান্ত মামেলুক যোদ্ধাজনৰ আখ্যানটো তোমাৰ মনত থাকিব পাৰে, সেই যোদ্ধাজনে ঘোঁৰাত উঠি ফৰাচী সৈন্যবাহিনীৰ ওচৰলৈ গৈ মধ্যযুগৰ ৰীতি মতে আৰু সেই যুগৰ শ্ৰেষ্ঠ যোদ্ধাই চলোৱা পদ্ধতি মতে সেই সৈন্যবাহিনীৰ নেতাজনক তেওঁৰ লগত অকলে যুঁজিবলৈ আহ্বান জনাইছিল।

এইদৰে আমি ১৯শ শতাব্দী পালোঁহি। এই শতাব্দীৰ প্ৰথমাৰ্দ্ধত মহম্মদ আলি নামৰ আলবেনিয়াৰ তুৰ্কী এজনে মিছৰত আধিপত্য কৰিছিল, তেওঁ আগতে দেশখনৰ শাসনকৰ্ত্তা বা 'খেদিভ' আছিল, তুৰ্কী শাসনকৰ্তাবিলাকক খেদিভ বোলা হৈছিল। মহম্মদ আলি আধুনিক মিছৰৰ প্ৰতিষ্ঠাতা বুলি জনাজাত হৈ আছে। তেওঁ কৰা প্ৰথম কামটো আছিল মামেলুকবিলাকক বিশ্বাসঘাতকতাৰে সমূহীয়াকৈ হত্যা কৰি তেওঁলোকৰ বল ভঙা। তেওঁ মিছৰত ইংৰাজৰ সৈন্যবাহিনী এটাকো পৰাজিত কৰি দেশখনৰ গৰাকী হৈছিল, নিয়মটো ৰাখিবৰ কাৰণে মাথোন তেওঁ তুৰ্কী চুলতানৰ শ্ৰেষ্ঠ কৰ্তৃত্ব স্বীকাৰ কৰিছিল। তেওঁ কৃষকবিলাকৰপৰা (মামেলুক-বিলাকৰপৰা নহয়) সৈনিক সংগ্ৰহ কৰি নতুনকৈ মিছৰৰ সৈন্যবাহিনী সংগঠিত কৰিছিল। তেওঁ নতুনকৈ কিছুমান জলপথ খন্দাইছিল আৰু কপাহৰ খেতি কৰাত

উৎসাহ দিছিল, ই পিছুত মিছৰৰ প্ৰধান উদ্যোগ হৈছিল। আনকি, তেওঁৰ নামমাত্ৰ প্ৰভুক খেদি তেওঁ কনষ্টান্টিনোপল অধিকাৰ কৰাবো ভয় দেখুৱাইছিল, কিন্তু সেই কামৰপৰা বিৰত থাকি তেওঁ মুঠেই চিৰিয়া মিছৰৰ লগ লগাইছিল।

১৮৪৯ খ্ৰীঃত মহম্মদ আলিৰ আশী বছৰ বয়সত মৃত্যু হয়। তেওঁৰ উত্তৰাধিকাৰীবিলাক দুৰ্বল, অমিতাচাৰী আৰু অকামিলা মানুহ আছিল। কিন্তু তেওঁলোক যেনে আছিল তাতকৈ ভাল হোৱা হলেও আন্তৰ্জাতিক বিত্ত বিষয় চলোৱা মানুহবিলাকৰ ডকাইতি আৰু য়ুৰোপৰ অতিলোভী সাম্ৰাজ্যবাদবিলাকৰ বিৰুদ্ধে থিয় দিয়া তেওঁলোকৰ কাৰণে টান হ'লহেঁতেন। বিদেশীবিলাকে, বিশেষকৈ বিত্ত বিষয় চলোৱা ইংৰাজ আৰু ফৰাচী মানুহবিলাকে খেদিভবিলাকক থাইকৈ তেওঁলোকৰ ব্যক্তিগত ব্যৱহাৰৰ কাৰণে অতিপাত বেছি হাৰৰ সুদত ধন ধাৰে দিছিল আৰু যেতিয়া সময়মতে সেই সুদ পৰিশোধ কৰা নহৈছিল তেতিয়া সুদ সংগ্ৰহ কৰিবলৈ যুদ্ধ-জাহাজ গৈছিল। আন এখন দেশ লুট কৰিবলৈ আৰু সেই দেশত আধিপত্য স্থাপন কৰিবলৈ কেনেকৈ চৰকাৰবিলাকে কেনেকৈ বিত্ত বিষয় চলোৱা মানুবিলাকৰ লগত ঘনিষ্ঠভাৱে মিলি কাম কৰে, তাৰ কাহিনীটো আন্তৰ্জাতিক ষড়যন্ত্ৰৰ এটা অসাধাৰণ কাহিনী। বহুতো খেদিভৰ অকৰ্মণ্যতাৰ সত্বেও মিছৰে যথেষ্ট উদ্‌গতি কৰিছিল। প্ৰকৃততে প্ৰধান ইংৰাজী বাতৰিকাকত 'টাইম্‌চে' ১৮৭৬ খ্ৰীঃৰ জানুৱাৰী মাহত কৈছিল, "মিছৰ উদ্‌গতিৰ বিস্ময়কৰ দৃষ্টান্ত। আনবিলাক দেশে পাঁচশ বছৰত যিমান উদ্‌গতি কৰিলেহেঁতেন, মিছৰে ৭০ বছৰত সিমানখিনি কৰিছে।" কিন্তু এই সকলোবিলাকৰ সত্বেও বিদেশী বিত্তীয় কাৰবাৰ চলোৱা মানুহবিলাকে তেওঁলোকৰ মাৰাত্মক দাবী আদায় কৰাত টানি ধৰিছিল আৰু দেশখন দেৱলীয়া হবলৈ ধৰিছিল বুলি দেখুৱাই বিদেশীৰ হস্তক্ষেপৰ দাবী কৰিছিল। বিদেশী চৰকাৰবিলাক বিশেষকৈ ইংৰাজ আৰু ফৰাচী চৰকাৰ হস্তক্ষেপ কৰিবলৈ ব্যগ্ৰ হৈ আছিল। তেওঁলোকে এটা চেনু বিচাৰিছিল কাৰণ, মিছৰ গ্ৰাস কৰিবলৈ এনে লোভ লগা হৈ আছিল যে তাক বাদ দিব পৰা নহৈছিল, তদুপৰি মিছৰ ভাৰতবৰ্ষলৈ অহা বাটত আছিল।

ইতিমধ্যে বি চুয়েজ খালটো জোৰ কৰি কামত লগোৱা বনুৱাৰ হতুৱাই উগ্ৰ নিষ্ঠুৰতাৰে খন্দোৱা হৈছিল, তাক ১৮৬৯খ্ৰীঃত বাণিজ্য, যাতায়াত আদিৰ কাৰণে মুকলি কৰা হৈছিল। (তুমি জানিলে ৰহস্য পাব পাৰা যে প্ৰায় খ্ৰীঃ পূঃ ১৪০০ চনত মিছৰৰ প্ৰাচীন ৰাজবংশবিলাকৰ দিনত লোহিত সাগৰ আৰু ভূমধ্যসাগৰৰ মাজতো এনে এটা খাল আছিল বুলি জনা গৈছে।) এই খালটো মুকলি কৰাৰ লগে লগে য়ুৰোপ, এচিয়া আৰু অষ্ট্ৰেলিয়াৰ মাজত চলা সকলোবিলাক যাতায়াত, বাণিজ্য আদি চুয়েজ খাললৈ গৈছিল আৰু মিছৰৰ প্ৰাধান্য অধিক বাঢ়িছিল। ভাৰতবৰ্ষ আৰু প্ৰাচ্যত গুৰুত্বপূৰ্ণ স্বাৰ্থ থকা ইংলেণ্ডৰ কাৰণে চুয়েজখাল আৰু মিছৰত আধিপত্য আটাইতকৈ বেছি প্ৰাধান্য থকা কথা হৈছিল। ইংৰাজ প্ৰধান মন্ত্ৰী ডিজৰেলিয়ে ১৮৭৫ খ্ৰীঃত দেৱলীয়া খেদিভৰপৰা চুয়েজখালৰ সকলোবিলাক অংশ অতি কম মূল্যত কিনি লৈ চতুৰ কূটনৈতিক কৌশল এটাত কৃতকাৰ্য হৈছিল। এইটো অকল ধনৰ লাভজনক প্ৰয়োগেই হোৱা নাছিল, ই বৃটিছ চৰ-

কাৰক চুৱেজখালৰ ওপৰতো বহুতো পৰিমাণে আধিপত্য দিছিল। চুৱেজ খালত থকা মিছৰৰ বাকীখিনি অংশ ফৰাচী বিত্তীয় কাৰবাৰ চলোৱা মানুহৰ হাতলৈ গৈছিল, সেই কাৰণে চুৱেজখালৰ ওপৰত মিছৰৰ বিত্ত সম্পৰ্কীয় আধিপত্য স্বরূপার্থত নোহোৱা হৈছিল। এই অংশবিলাকৰপৰা বৃটিছ আৰু ফৰাচীবিলাকে বিৰাট পৰিমাণৰ লাভাংশ পাই আছে আৰু লগে লগে খালটোত আধিপত্য চলাই মিছৰক এনে গুৰুত্বপূৰ্ণভাৱে খামুচি ধৰি ৰাখিছে। ১৯৩২ খ্ৰীঃত অকল বৃটিছ চৰকাৰে তেওঁলোকে আদিতে লগোৱা ৪,০০০,০০০ পাউণ্ডৰ কাৰণে ৩,৫০০০,০০ পাউণ্ড লাভাংশ পাইছিল।

বৃটিছ চৰকাৰে যে দেশখনৰ ওপৰত অধিক আধিপত্য লাভ কৰিবলৈ চেষ্টা কৰিব সেইটো অৱশ্যম্ভাৱী হৈছিল, সেই কাৰণে ১৮৭৯ খ্ৰীঃত তেওঁলোকে মিছৰৰ আভ্যন্তৰীণ বিষয়ত অবিৰতভাৱে হস্তক্ষেপ কৰিবলৈ আৰম্ভ কৰিছিল আৰু তেওঁলোকৰ নিজৰ দেশৰ বিত্তীয় কাৰবাৰ চলোৱা মানুহক আধিপত্য চলোৱাত লগাইছিল। স্বাভাৱিকতে এই কাৰণে বহুতো মিছৰীয় মানুহ বিৰক্ত হৈছিল আৰু বিদেশী হস্তক্ষেপৰপৰা মিছৰ মুক্ত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হোৱা জাতীয়তাবাদী দল এটাৰ উদ্ভৱ হৈছিল। এই দলৰ নেতা আৰবী পাছা এজন ডেকা সৈনিক আছিল। তেওঁ বনুৱা শ্ৰেণীৰ পিতৃমাতৃৰ সন্তান আছিল আৰু সাধাৰণ সৈনিক স্বরূপে তেওঁ মিছৰৰ সৈন্যবাহিনীত যোগ দিছিল। তেওঁৰ প্ৰভাৱ বাঢ়িছিল আৰু তেওঁ সমৰ মন্ত্ৰী হৈছিল; এই বাব লৈ তেওঁ ইংৰাজ আৰু ফৰাচী আধিপত্যকাৰীবিলাকৰ নিৰ্দ্দেশ পালন কৰিবলৈ অমান্তি হৈছিল। বিদেশীৰ আদেশ মানিবলৈ এইদৰে অমান্তি হোৱাৰ বাবে ইংলেণ্ডৰ একমাত্ৰ উত্তৰ আছিল যুদ্ধ, আৰু ১৮৮১ খ্ৰীঃত বৃটিছ নৌবহৰে আলেকজেন্দ্ৰিয়া নগৰৰ ওপৰত বোমা পেলাই নগৰখন পুৰি পেলাইছিল। এইদৰে পশ্চিমীয়া সভ্যতাৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰি আৰু স্থলভাগতো মিছৰৰ সৈন্য বাহিনীক পৰাজিত কৰি বৃটিছে তেতিয়া মিছৰৰ ওপৰত পূৰ্ণ আধিপত্য স্থাপন কৰিছিল।

এইদৰে বৃটিছে মিছৰৰ অধিকাৰ আৰম্ভ কৰিছিল। আন্তৰ্জাতিক আইনমতে এইটো এটা অসাধাৰণ অৱস্থা আছিল। মিছৰ তুৰ্কী ৰাজ্যবিলাকৰ এখন প্ৰদেশ নাইবা এটা ভাগ আছিল। তুৰস্কৰ লগত ইংলেণ্ডৰ বন্ধুতা আছিল বুলি ভবা হৈছিল তথাপি ইংলেণ্ডে নীৰৱে এই ৰাজ্যবিলাকৰ এভাগ অধিকাৰ কৰিছিল। ইংলেণ্ডে মিছৰত সেই দেশৰ এজন প্ৰতিনিধি ৰাখিছিল। তেওঁ সকলোৰে ওপৰত কৰ্তৃত্ব চলাইছিল, ভাৰতবৰ্ষৰ ৰাজপ্ৰতিনিধিজনৰ দৰে তেওঁ এজন 'শ্ৰেষ্ঠ মোগল' আছিল, আনকি খেদিভ আৰু তেওঁৰ মন্ত্ৰীবিলাকো বৃটিছ প্ৰতিনিধিজনৰ আগত ক্ষমতাহীন আছিল। প্ৰথম বৃটিছ প্ৰতিনিধি জন আছিল মেজৰ বেৰাৰিং, তেওঁ ২৫ বছৰ মিছৰত শাসন চলাই লৰ্ড ক্ৰোমাৰ হৈছিল, তেওঁ অত্যাচাৰী স্বেচ্ছাচাৰী শাসকৰ দৰে মিছৰ শাসন কৰিছিল। বিত্তীয় কাৰবাৰ চলোৱা আৰু ধনৰ পৰাকী বিদেশী মানুহবিলাকক লাভাংশ দিয়াটোৱেই তেওঁৰ প্ৰথম চিন্তা আছিল। এই কাম নিয়মিতভাৱে কৰা হৈছিল, আৰু মিছৰৰ সুস্থ বিত্তীয় অৱস্থাৰ কাৰণে প্ৰশংসা লাভ কৰা হৈছিল। ভাৰতবৰ্ষৰ দৰে তাতো শাসন বিষয়ত অলপ পৰি-

মাণৰ দক্ষতা সাধিত হৈছিল। কিন্তু মিছৰৰ পুৰণি ধাৰ আবণ্ডণিত বিধান আছিল, ২৫ বছৰৰ পাছতো সিমানেই আছিল। শিক্ষাৰ কাৰণে স্বল্পাৰ্থত একোকে কৰা নহৈছিল, আৰু ক্ৰোমাৰে আনকি জাতীয় বিশ্ববিদ্যালয় এখন আৰম্ভ কৰাও বন্ধ কৰিছিল। ১৮৯২ খৃঃত সেই কালৰ ইংলেণ্ডৰ প্ৰধান মন্ত্ৰী লৰ্ড চেলিচবৰীলৈ তেওঁ লেখা চিঠি এখনৰ বাক্য এটাৰ পৰাই তেওঁৰ দৃষ্টিভঙ্গী বিচাৰ কৰিব পাৰি। তেওঁ লেখিছিল : "খেদিভজন বৰকৈ মিছৰীয় হব খুজিছে।" ভাৰতীয় এজনে যেনেকৈ ভাৰতীয়ৰ দৰে আচৰণ কৰিলে বৃটিছবিলাক বিতুষ্ট হয় আৰু তেওঁক শাস্তি দিয়ে, ঠিক তেনেকৈয়ে লৰ্ড ক্ৰোমাৰৰ বিচাৰত মিছৰীয়ই যেনে আচৰণ কৰা উচিত কোনো মিছৰীয়ই তেনে আচৰণ কৰা এটা দোষ আছিল।

বৃটিছে মিছৰত আধিপত্য কৰাটো ফৰাচীবিলাকে ভাল নেপাইছিল ; সেই লুটপাটত তেওঁলোকৰ ভাগ নাছিল। য়ুৰোপৰ আন শক্তিবিলাকেও এইটো ভাল নেপাইছিল আৰু নকলেও হব যে মিছৰীয়বিলাকে ইয়াক মুঠেই ভাল নেপাইছিল। বৃটিছ চৰকাৰে সকলোকে একো চিন্তা নকৰিবলৈ কৈছিল, কাৰণ তেওঁলোক মিছৰত অলপ দিনৰ কাৰণেহে থাকি সোনকালে সেই দেশ এৰি যাব। বৃটিছ চৰকাৰে বাৰে বাৰে বিধিমতে আৰু চৰকাৰীভাৱে ঘোষণা কৰিছিল যে তেওঁলোক মিছৰৰপৰা স্থানান্তৰিত হৈ যাব। প্ৰায় ৫০ বাৰ কি তাতকৈ অধিকবাৰ এই গহীন ঘোষণাটো কৰা হৈছিল, ইয়াক গণনা কৰি ৰখা টান। তথাপি বৃটিছ তাত লাগি আছিল আৰু এতিয়াও লাগি আছে।

১৯০৪ খ্ৰীঃত বৃটিছে ফৰাচীবিলাকৰ লগত বিবাদ চলি থকা বহুতো বিষয়ৰ মীমাংসা কৰিছিল। তেওঁলোকে মৰক্কোত ফৰাচী বিলাকক অবাধিত স্বত্ব দিবলৈ মান্তি হৈছিল আৰু তাৰ বিনিময়ত ফৰাচীবিলাকে মিছৰত বৃটিছৰ অধিকাৰ স্বীকাৰ কৰিবলৈ মান্তি হৈছিল। এইটো সুন্দৰ দিয়া লোৱা কাম হৈছিল, যাথোন যি তুৰস্কক কেতিয়াও শ্ৰেষ্ঠ কৰ্তৃত্ব থকা শক্তি বুলি ভবা হৈছিল, সেই দেশক সোধা নহৈছিল, মিছৰীয়বিলাকক অৱশ্যে সোধাৰ প্ৰশ্নই নুঠিছিল।

এই কালছোৱাত মিছৰৰ আন এটা বৈশিষ্ট্য আছিল এই যে মিছৰৰ বিচাৰালয়বিলাকৰ বিদেশীবিলাকৰ ওপৰত কোনো ক্ষমতা নাছিল অৰ্থাৎ আইনসঙ্গত কৰ্তৃত্ব নাছিল। এই বিচাৰালয়বিলাক যথেষ্ট ভাল বুলি ভবা নহৈছিল, আৰু বিদেশীবিলাকে তেওঁলোকৰ নিজৰ বিচাৰালয়ত তেওঁলোকৰ দোষ বিচাৰ কৰাৰ স্বত্ব পাইছিল। এইদৰে বহিঃৰাষ্ট্ৰীয়ৰূপে পৰিগণিত বিচাৰালয় কিছুমান স্থাপিত হৈছিল, সেইবিলাকত বিদেশী বিচাৰক আছিল আৰু বিদেশীৰ স্বাৰ্থ অন্তৰত ৰাখি সেইবিলাক পতা হৈছিল। এই বিচাৰক এজনেই সেইবিলাকৰ বিষয়ে এনেকৈ লেখিছে : "এই দেশখনক শোষণ কৰিবলৈ বিদেশীসকলৰ যি সমবায় গঠিত হৈছিল, এই বিচাৰ-সভাৰ বিচাৰ তাৰ অতি সুন্দৰ সহায় হৈছে।" মোৰ বিশ্বাস যে মিছৰত বাস কৰি থকা বিদেশীবিলাক অতি সৰহ ভাগ কৰৰ- পৰাও সাৰিছিল। সুখৰ অৱস্থা—কৰ দিব নালাগে, যিখন দেশত তুমি বাস কৰিছা সেই দেশৰ আইন বা বিচাৰালয়ৰ অধীন হব নেলাগে আৰু লগতে সেই দেশখন শোষণ কৰিবলৈ সকলো সুযোগ পোৱা যায়।

এইদৰে বৃটেনে মিছৰ শাসন আৰু শোষণ কৰিছিল আৰু ইংলেণ্ডৰ প্ৰতিনিধি-বিলাকে তেওঁলোকৰ ‘বেচিডেঞ্চ’ বিলাকৰ স্বেচ্ছাচাৰী ৰজাৰ সকলোবিলাক পয়োভৰ আৰু জাকজমকেৰে বাস কৰিছিল। স্বাভাৱিকতে জাতীয়তাবাদৰ সংবৰ্ধন হৈছিল আৰু সংস্কাৰৰ আন্দোলনে গঢ় লৈছিল। ১৯শ শতাব্দীৰ শ্ৰেষ্ঠ সংস্কাৰক আছিল জামালুদ্দিন আফগানী, তেওঁ ধাৰ্ম্মিক নেতা আছিল আৰু ইচলাম ধৰ্ম্মক আধুনিক অৱস্থাৰ লগত সামঞ্জস্য ঘটুৱাই ইয়াক আধুনিক কালৰ উপযোগী কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ প্ৰচাৰ কৰিছিল যে ইচলাম ধৰ্ম্মৰ লগত সকলো প্ৰকাৰৰ উদ্‌গতিৰ সামঞ্জস্য সাধিব পাৰি। ইচলাম ধৰ্ম্মক আধুনিক কালৰ উপ-যোগী কৰাৰ তেওঁৰ চেষ্টা ভাৰতবৰ্ষত হিন্দু ধৰ্ম্মক আধুনিক কালৰ উপযোগী চেষ্টাৰ লগত সাৰাংশত একে আছিল। এই চেষ্টাবিলাকৰ মূলত আছে অতীতৰ কিছুমান মৌলিক ধৰ্ম্মোপদেশ পুনৰ পালন কৰা আৰু প্ৰাচীন ৰীতি-নীতিবিলাকৰ নতুন অৰ্থ নতুন ব্যাখ্যা লাভ কৰা। এইমতে আধুনিক জ্ঞান ধৰ্ম বিষয়ৰ প্ৰাচীন জ্ঞানৰ লগত এক প্ৰকাৰৰ যোগ হয় নাইবা সেই জ্ঞানৰ টীকা হয়। এই পদ্ধতিটো অৱশ্যে বৈজ্ঞানিক পদ্ধতিতকৈ বৰ বেলেগ, বৈজ্ঞানিক পদ্ধতিত আগতে এনেকৈ কোনো কথাকে সঁচা বুলি ধৰি নোলোৱাকৈ সাহসেৰে আগুৱাই যোৱা হয়। তথাপি জামালুদ্দিনৰ প্ৰভাৱ অকল মিছৰতে নহয়, আন আৰবী দেশবিলাক-তো বৰ বেছি আছিল।

বিদেশৰ বাণিজ্যৰ সংবৰ্ধনৰ লগে লগে মিছৰত মধ্যবিত্তৰ নতুন শ্ৰেণী এটাৰ উদ্ভৱ হৈছিল আৰু এই শ্ৰেণীটো নতুন জাতীয়তাবাদৰ মেৰুদণ্ড হৈছিল। এই শ্ৰেণীটোৰপৰাই মিছৰৰ সকলো নেতাৰ ভিতৰত শ্ৰেষ্ঠ নেতা চৈয়াদ জগ্‌লুল পাছা ওলাইছিল। মিছৰ যাইকৈ মুছলিম দেশ, কিন্তু তাত এতিয়াও যথেষ্ট পৰিমাণৰ কপ্‌ট মানুহ আছে, তেওঁলোক খ্ৰীষ্টিয়ান। এই কপ্‌টবিলাক আটাইতকৈ প্ৰাচীন নিখুঁত মিছৰীয়। মধ্যবিত্তৰ নতুন শ্ৰেণীটোত মুছলিম, কপ্‌ট দুয়ো সম্প্ৰদায়ৰ মানুহ আছিল, আৰু সৌভাগ্যক্ৰমে তেওঁলোকৰ মাজত বিৰোধিতা নাছিল। বৃটিছে তেওঁলোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ চেষ্টা চলাইছিল, কিন্তু তেওঁলোক বিশেষ কৃতকাৰ্য নহ’ল। বৃটিছে জাতীয়তাবাদী দলটোকো বিভক্ত কৰিবলৈ চেষ্টা কৰিছিল। ভাৰতবৰ্ষৰ দৰে তাতো তেওঁলোকে মাজে সময়ে তেওঁলোকৰ লগত সহযোগ কৰা ধীৰপন্থী মিছৰীয় কেইজনমান পোৱাত কৃতকাৰ্য হৈছিল। কিন্তু এই বিষয়ে মই তোমাক পাচৰ এখন চিঠিত আৰু অলপ ক’ম।

১৯১৪ খ্ৰীষ্টাব্দৰ আগষ্ট মাহত যেতিয়া বিশ্বযুদ্ধখন আৰম্ভ হৈছিল, তেতিয়া মিছৰৰ অৱস্থা এনে আছিল। তিনি মাহৰ পাচত তুৰস্কই ইংলেণ্ড, ফ্ৰান্স আৰু সেই দুই দেশৰ মিত্ৰবিলাকৰ বিৰুদ্ধে জাৰ্মাণীৰ লগত যোগ দিছিল। তেতিয়া ইংলেণ্ডে মিছৰক আচলকৈ স্থায়ীভাৱে অধিকাৰ কৰিবলৈ সিদ্ধান্ত কৰিছিল; কিন্তু কিছুমান সংকটে দেখা দিছিল, সেই কাৰণে মিছৰ অধিকাৰ কৰাৰ পৰিবৰ্ত্তে তেওঁলোকে সেই দেশ আশ্ৰিত ৰাজ্য বুলি ঘোষণা কৰিছিল।

মিছৰত এইবিলাক হৈছিল। ১৯শ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধত আফ্ৰিকাৰ অৱশিষ্ট ভাগো য়ুৰোপীয় সাম্ৰাজ্যবাদৰ বলি স্বৰূপ হৈছিল। ভয়ঙ্কৰ হুৰাহুৰী লগাই

বিশাল মহাদেশখন য়ুৰোপীয় শক্তিবিলাকৰ মাজত ভগাই লোৱা হৈছিল। প্ৰথমতে তেওঁলোকে ইয়াক আক্ৰমণ কৰিছিল কোনো কোনো সময়ত তেওঁলোকৰ পৰস্পৰৰ মাজত কন্দল হৈছিল। কোনোবাটো শক্তিয়ে কদাচিৎ বাধা পাইছিল। কিন্তু ১৮৯৬ খ্ৰীঃৰ আবিচিনিয়াত ইটালীক পৰাজিত কৰা হৈছিল। আফ্ৰিকা প্ৰধানকৈ বৃটিছ নাইবা ফৰাচীৰ অধীনত আছিল আৰু তাৰ কিছুমান ভাগ বেলজিয়াম, ইটালীয়ান আৰু পৰ্তুগীজৰ অধীনত আছিল। যুদ্ধখনত জাৰ্মাণবিলাক পৰাজিত নোহোৱালৈকে তেওঁলোকো তাত আছিল। মুঠেই দুখন স্বাধীন ৰাজ্য ৰৈছিল—পূবফালে আবিচিনিয়া আৰু পশ্চিম উপকূলত সৰু ৰাজ্য লিবিৰিয়া। মৰকো ফৰাচী আৰু স্পেনীয় প্ৰভাৱৰ অধীনত আছিল।

এই ৰাজ্যবিলাক যেনেকৈ অধিকাৰ কৰা হৈছিল, তাৰ কাহিনীটো যেনে দীঘলীয়া তেনেকৈ ভয়ঙ্কৰো। এই কাহিনী এতিয়াও কোনো ৰকমেই শেষ হোৱা নাই। তাতোকৈ কুৎচ আছিল সেই পদ্ধতিটো, যিটো মহাদেশখন শোষণ কৰিবলৈ, বিশেষকৈ ৰবৰ উলিয়াবলৈ লগোৱা হৈছিল। বহু বছৰৰ পূৰ্বে বেলজিয়ানবিলাকৰ অধীনস্থ কঙ্গোত যি নিষ্ঠুৰ অত্যাচাৰ চলোৱা হৈছিল, তাৰ কাহিনী শুনি সভ্য-জগত নাম পোৱা জগতখন আতঙ্কিত হৈছিল। 'কৃষ্ণাঙ্গী' মানুহৰ বোজাটো ভয়ঙ্কৰ হৈ আছে।

আফ্ৰিকা 'আন্ধাৰ মহাদেশ' নামে জনাজাত। ১৯শ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধৰ আগলৈকে এই মহাদেশৰ ভিতৰুৱা ভাগবিলাকৰ সম্পৰ্কত ই প্ৰায় অজ্ঞাত ভূমি হৈ আছিল। গুপুত ৰহস্যৰ এই ভূমিভাগ মানচিত্ৰত উচিত মতে দেখুৱাব পৰা হোৱাৰ আগতে ইয়াৰ মাজত বহুতো দুঃসাহসিক আৰু উত্তেজনাপূৰ্ণ ভ্ৰমণৰ অভিযান চলাব লাগিছিল। এই ভূমিভাগৰ আৱিষ্কাৰকবিলাকৰ ভিতৰত সকলোতকৈ শ্ৰেষ্ঠ আৱিষ্কাৰক আছিল ডেভিড লিভিংষ্টোন, তেওঁ স্কট ধৰ্ম প্ৰচাৰক আছিল। বহুত বছৰ এই মহাদেশখনে তেওঁক গিলি থৈছিল আৰু বাহিৰৰ পৃথিৱীখনে তেওঁৰ কোনো বাতৰি নেপাইছিল। তেওঁৰ নামৰ লগত সম্পৰ্ক থকা আন এজন মানুহৰ নাম আছিল হেনৰি ষ্টেন্‌লি, তেওঁ বাতৰি-কাকতৰ লগত সম্পৰ্ক থকা মানুহ আৰু দেশ আৱিষ্কাৰক আছিল; তেওঁ লিভিংষ্টোনক বিচাৰি গৈ মহাদেশখনৰ মাজভাগত তেওঁক পাইছিল।

১৪২

তুৰস্ক ' য়ুৰোপৰ ৰোগীয়া মানুহ ' হয়

১৪ মাৰ্চ, ১৯৩৩

মিছৰৰপৰা ভূমধ্য সাগৰ পাৰ হৈ তুৰস্কলৈ অহা এটা সৰু আৰু স্বাভাৱিক খোজ। উনবিংশ শতাব্দীত অটোমান তুৰ্কী সাম্ৰাজ্যখন ক্ৰমে বেছিকৈ ভাগি যোৱা দেখিবলৈ পোৱা হৈছিল। আগৰ শতাব্দীতে তাৰ ক্ৰমে অৱনতি আৰম্ভ হৈছিল। সম্ভৱতঃ তোমাৰ মনত থাকিব পায় যে মই আগতে তোমাক তুৰ্কী-বিলাকে ভিয়েনা অৱৰোধ কৰাৰ কথা আৰু কেনেকৈ কিছুকালৰ কাৰণে য়ুৰোপ তুৰ্কীবিলাকৰ ভয়ত কঁপিছিল তাৰ কথা কৈছোঁ। পশ্চিম য়ুৰোপৰ ধাৰ্ম্মিক খ্ৰীষ্টিয়ানবিলাকে ভাবিছিল যে তুৰ্কীবিলাক খ্ৰীষ্টিয়ান জগতৰ পাপৰ কাৰণে তেওঁ-লোকক শাস্তি দিবলৈ পঠিওৱা 'ঈশ্বৰৰ চাবুক' আছিল। কিন্তু ভিয়েনাৰ সীমাৰপৰা তুৰ্কীবিলাকক চূড়ান্তভাৱে বিতাৰিত কৰাৰ লগে লগে ঘটনা প্ৰৱাহৰ দিশ পৰিৱৰ্তিত হৈছিল আৰু তেতিয়াৰপৰা তেওঁলোকে য়ুৰোপত আক্ৰমণৰপৰা ৰক্ষা পাবলৈ উপায় কৰিব লগা হৈছিল। দক্ষিণ-পূব য়ুৰোপত যিবিলাক জাতিক তেওঁলোকে বশীভূত কৰিছিল, সেইবিলাকৰ প্ৰত্যেকটোৱেই তেওঁলোকৰ অশান্তিৰ কাৰণ হৈছিল। সেইবিলাকক তেওঁলোকৰ লগত মিলাবলৈ একো চেষ্টা কৰা নহৈছিল আৰু চেষ্টা কৰা হলেও সম্ভৱতঃ মিলোৱা সম্ভৱপৰ নহলহেঁতেন আৰু তুৰ্কীবিলাকৰ কঠোৰ শাসনৰ লগত জাতীয়তাবাদৰ উদ্যমৰ সংঘৰ্ষ হৈছিল। উত্তৰ-পূবফালে জাৰৰ ৰাচিয়া ক্ৰমে বেছিকৈ শক্তিশালী হৈছিল আৰু সেই দেশে তুৰ্কীবিলাকৰ অধীনস্থ ৰাজ্যবিলাকত অবিৰত ভাবে টানকৈ হেঁচা দি আছিল। সেই দেশ তুৰ্কীবিলাকৰ পৰম্পৰাগত আৰু অবিৰত শত্ৰু হৈছিল আৰু প্ৰায় দুশ বছৰ সেই দেশে তুৰ্কীবিলাকৰ বিৰুদ্ধে এৰা-ধৰাকৈ যুদ্ধ চলাইছিল, অৱশেষত জাৰ আৰু চুলতান দুয়োৰে প্ৰায় একেলগে পতন হৈছিল আৰু তেওঁলোকে নিজৰ নিজৰ সাম্ৰাজ্যও লগত লৈ গৈছিল।

সাম্ৰাজ্য স্বৰূপে অটোমান সাম্ৰাজ্যখন যথেষ্ট দীঘলীয়া কাল তিষ্ঠি আছিল। এচিয়া মাইনৰত দীঘলীয়া এছোৱা কাল থকাৰ পাছত ই ১৩৬১খ্ৰীঃত য়ুৰোপত প্ৰতিষ্ঠিত হৈছিল। যদিও ১৪৫৩ খ্ৰীঃৰ আগলৈকে কনষ্টাণ্টিনোপল তুৰ্কীবিলাকৰ

হাতলৈ নগৈছিল, তথাপি সেই বছৰৰ বহুত কালৰ পূৰ্বে ইয়াৰ চাৰিওফালৰ ৰাজ্য ভাগ তেওঁলোকৰ হস্তগত হৈছিল। পশ্চিম এচিয়াত তাইমুৰৰ ভীষণ আক্ৰমণে আৰু ১৪০২ খ্ৰীঃত আঙ্গোৰাত তেওঁ তুৰ্কী চুলতানক সম্পূৰ্ণ পৰাজিত কৰাত কিছুকাল সেই নগৰখন ৰক্ষা পৰিছিল। কিন্তু তুৰ্কীবিলাক শীঘ্ৰে পুনৰ সবল হ'ল। ১৩৬১ খ্ৰীঃৰপৰা আৰম্ভ কৰি আমাৰ দিনত অটোমান সাম্ৰাজ্যখন অন্ত নোহোৱালৈকে চাৰে পাঁচ শতাব্দীকাল আৰু ই এছোৱা দীঘলীয়া কাল।

তথাপি মধ্যযুগ শেষ হোৱাত য়ুৰোপত যি নতুন অৱস্থাৰ উন্নয়ন হৈছিল, তাৰ লগত তুৰ্কীবিলাক খাপ নেখাইছিল। য়ুৰোপত বাণিজ্যৰ আৰু বৈদেশিক বাণিজ্যৰ সংবৰ্ধন হৈছিল আৰু কাৰখানাত উৎপাদন চলোৱা ডাঙৰ চহৰবিলাকত বেছিকৈ উৎপাদনৰ ব্যৱস্থা কৰা হৈছিল। তুৰ্কীবিলাকৰ এই প্ৰকাৰৰ কামলৈ একো আগ্ৰহ নহৈছিল। তেওঁলোক আছিল নিখুঁত সৈনিক, কঠোৰ যোদ্ধা আৰু নিয়মানুবৰ্ত্তী, আজৰিৰ সময়ত আৰাম প্ৰিয় কিন্তু জোকাই ললে দুৰ্দান্ত আৰু নিষ্ঠুৰ। যদিও তেওঁলোকে চহৰত স্থায়ী বসতি পাতিছিল আৰু মনোহৰ নিৰ্মাণ-কাৰ্যৰে চহৰবিলাক সুশোভিত কৰিছিল, তথাপি তেওঁলোকৰ প্ৰকৃতিত তেওঁলোকৰ পুৰণি যাযাবৰী ৰীতি অলপ আছিল আৰু সেই অনুসাৰে তেওঁলোকে নিজৰ নিজৰ জীৱন গঢ়িছিল। সম্ভৱতঃ তুৰ্কীবিলাকৰ নিজৰ দেশত এই ৰীতিটো তেওঁলোকৰ কাৰণে আটাইতকৈ বেছি উপযোগী আছিল, কিন্তু য়ুৰোপ বা এচিয়া মাইনৰৰ নতুন পৰিৱেশত ই খাপ নেখাইছিল। নতুন পৰিৱেশৰ লগত নিজক খাপ খুৱাবলৈ তুৰ্কীবিলাক অসমৰ্থ হৈছিল, আৰু সেই কাৰণে এই দুই প্ৰকাৰৰ বিভিন্ন পদ্ধতিৰ মাজত নেৰানেপেৰাকৈ সংঘৰ্ষ হৈছিল।

অটোমান সাম্ৰাজ্যই য়ুৰোপ, এচিয়া, আফ্ৰিকা—এই তিনিখন মহাদেশক লগ লগাইছিল; প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত থকা বাণিজ্যৰ প্ৰাচীন পথবিলাক ইয়াৰ ভিতৰত পৰিছিল। তুৰ্কীবিলাকে ইচ্ছা কৰা হলে আৰু তেওঁলোকৰ প্ৰয়োজনীয় যোগ্যতা থকা হলে তেওঁলোকে এই অনুকূল অৱস্থাৰ সুযোগ লৈ তেওঁলোকে বিদেশৰ লগত বাণিজ্য চলোৱা এটা প্ৰধান জাতিত পৰিণত হব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকৰ তেনে ইচ্ছা বা যোগ্যতা নাছিল, আৰু তেওঁলোকে কৰিব নলগীয়া কাম কৰি এই বাণিজ্যত বাধা দিছিল, কাৰণ তেওঁ-লোকে সম্ভৱতঃ ইয়াৰপৰা আনে লাভ কৰা দেখিবলৈ ভাল নেপাইছিল। পুৰণি বাণিজ্যৰ পথবিলাক এনেকৈ বন্ধ হোৱাত আংশিকভাৱে এই কাৰণেই সমুদ্ৰত ভ্ৰমণকাৰী আৰু বিদেশৰ লগত বাণিজ্য চলোৱা য়ুৰোপৰ জাতিবিলাক প্ৰাচ্যলৈ আহিবলৈ আন পথ বিচাৰিবলৈ বাধ্য হৈছিল আৰু ইয়াৰ ফলত পশ্চিমফালে কলম্বচে আৰু পূবফালে ডিয়াজ আৰু ভাস্কো-ডা-গামাই নতুন পথ আৱিষ্কাৰ কৰিছিল। কিন্তু তুৰ্কীবিলাকে এই সকলোবিলাকলৈ আওকাণ কৰি নিয়মানুগতিত্ব আৰু সামৰিক দক্ষতাৰ ফলত তেওঁলোকৰ সমাজখনত আধিপত্য চলাইছিল। তাৰ ফলত য়ুৰোপৰ ভিতৰত থকা অটোমান সাম্ৰাজ্য ভাগত বৈদেশিক বাণিজ্য আৰু সম্পত্তি উৎপাদন সম্পৰ্কীয় কাৰ্য-কলাপ ক্ৰমে ক্ৰমে কমি গৈ নাইকিয়া হৈছিল। জাতিগত আৰু ধৰ্মমূলক সংঘৰ্ষবোৰে আংশিকৰূপে এনে ঘটাইছিল।

য়ুৰোপৰ তুৰ্কী সকলৰ শেষ উত্তৰাধিকাৰ
তুৰস্কৰ হস্তচ্যুত ভূখণ্ড
ঊনবিংশ শতিকাত
.... বল্কান যুদ্ধৰ
পিছত ১৯১২-১৩
ৰাচিয়া
অষ্ট্ৰীয়া হাঙ্গেৰি
দানিয়ুব
ৰুমানিয়া
বুখাৰেষ্ট
বেলগ্ৰেড
বচনিয়া
মণ্টেনিগ্ৰো
বুলগেৰিয়া
চোফিয়া
কনষ্টাণ্টিনোপল
চালোনিকা
ডাৰ্ডানেলিচ
এথেন্স

খৃষ্টিয়ানবিলাকৰ 'ধৰ্মযুদ্ধ'ৰ সময়ৰ আৰু তাৰ আগৰ সময়ৰপৰাই তুৰ্কীবিলাক আৰু বল্কান দেশসমূহৰ জাতিবিলাকৰ মাজত ধৰ্ম বিষয়ৰ যি পুৰণি কন্দল চলি আছিল, তেওঁলোকে সেই কন্দল উত্তৰাধিকাৰ সূত্ৰে চলাই আছিল। নতুন জাতীয়তাবাদৰ সংবৰ্ধনে এই কন্দলৰ জুইত ঘিউ ঢালিছিল, আৰু অবিৰতভাৱে অশান্তি হৈ আছিল। য়ুৰোপৰ ভিতৰত থকা অটোমান সাম্ৰাজ্যভাগৰ কিমান অৱনতি হৈছিল তাৰ এটা উদাহৰণ তোমাক দিওঁ: ১৮২৯ খ্ৰীঃত যেতিয়া গ্ৰীচ স্বাধীন হৈছিল, তেতিয়া প্ৰাচীন কালৰ প্ৰখ্যাত নগৰ এথেন্স প্ৰায় ২০০০ বাসিন্দা থকা এখন গাওঁ মাথোন আছিল। (এশ বছৰৰ পাছত এতিয়া এথেন্সৰ লোকসংখ্যা ৫০০,০০০ তকৈও অধিক)।

এইদৰে বৈদেশিক বাণিজ্য আৰু সম্পত্তি উৎপাদন সম্পৰ্কীয় কাৰ্য-কলাপক-বিলাক লোপ পোৱাটো অৱশেষত তুৰ্কী শাসকসকলৰ নিজৰ কাৰণেই বেয়া হৈছিল। সাম্ৰাজ্যৰ অঙ্গ-প্ৰত্যঙ্গবিলাক যেতিয়া দুৰ্বল হৈছিল, তেতিয়া সাম্ৰাজ্যৰ কলিজাও দুৰ্বল আৰু ৰুগীয়া হৈছিল। প্ৰকৃততে এই সকলোবিলাক সংঘৰ্ষ আৰু সংকট সত্বেও সাম্ৰাজ্যখন সিমান দীঘলীয়া কাল তিষ্ঠি থকাটো আচৰিত কথা।

কেইবাশ বছৰ অটোমান চুলতানবিলাকৰ বল আছিল 'জানিচাৰি' সৈন্য-বিলাকৰ সৈন্যবাহিনীটোত, তুৰ্কী সৈন্যৰ এই বাহিনীটো খ্ৰীষ্টিয়ান গোলামবিলাকৰ সংগঠিত হৈছিল, তেওঁলোকক লৰাকালৰপৰা অতি সাৱধানে যুদ্ধবিদ্যাৰ প্ৰশিক্ষণ দিয়া হৈছিল। এই 'জানিচাৰি'বিলাকে মিছৰৰ মামেলুকবিলাকলৈ মনত পেলায়, কিন্তু তেওঁলোকৰ মাজত পাৰ্থক্য আছিল। জানিচাৰিবিলাক তুৰ্কী সৈন্য বাহিনীৰ শ্ৰেষ্ঠ সৈন্য আছিল, যদিও তেওঁলোকৰ মিছৰৰ দৰে শাসন চলোৱা শক্তি কেতিয়াও নহৈছিল। কিন্তু মামেলুকবিলাকৰ দৰেই তেওঁলোক পুৰুষানুক্ৰমিক এটা শ্ৰেণী বা বৰ্ণ নহৈছিল। তেওঁলোকৰ কাৰণে সংৰক্ষিত কিছুমান উচ্চপদ আৰু বিষয়বাব দি তেওঁলোকক গোলামস্বৰূপে বিশেষ অনুগ্ৰহ কৰা হৈছিল; কিন্তু তেওঁলোকৰ পুতেকবিলাক মুক্ত মুছলিম হৈছিল আৰু বহুত কাললৈ গোলামৰ মাজত সীমাবদ্ধ আৰু বিশেষ অনুগ্ৰহ পোৱা এই বাহিনীটোত পুতেকবিলাক থাকিব নোৱাৰিছিল। নতুন শ্বেতকায় গোলামৰপৰাহে সদায় সেই বাহিনীলৈ নতুনকৈ সৈন্য সংগ্ৰহ কৰা হৈছিল। এই সকলোবিলাক কথা অসাধাৰণ যেন লাগে, নহয় নে? কিন্তু মনত ৰাখিবা যে সেই কালত ইচলাম ধৰ্ম মনা দেশ-বিলাকত গোলাম শব্দটোৰ অৰ্থ এতিয়াৰ অৰ্থৰে সৈতে একে নাছিল। প্ৰায়ে গোলামবিলাকে নামত আৰু আইনমতে গোলাম আছিল, কিন্তু তেওঁলোক শ্ৰেষ্ঠ পদলৈ উঠিছিল। ভাৰতবৰ্ষত দাস ৰজাসকলৰ কথা তোমাৰ মনত পৰিব, মিছৰৰ চালাদিনো আগতে গোলাম আছিল। তুৰ্কীবিলাকৰ মনৰ ভাৱ এনে আছিল যেন লাগে যে শাসন চলোৱা শ্ৰেণীটোক যিমান পাৰি তিমান কাৰ্যদক্ষ কৰিবৰ অৰ্থে তেওঁলোকক নিখুঁত প্ৰশিক্ষণ দিয়া উচিত। প্ৰতিজন শিক্ষকে জনাৰ দৰে তেওঁ-লোকে জানিছিল যে মানুহ এজনক প্ৰশিক্ষণ দিয়াৰ আটাইতকৈ বেছি ভাল সময় শৈশৱ কালৰ আৰম্ভণি ভাগৰপৰা আৰম্ভ কৰি তাৰ পিচৰ কালছোৱা। সম্ভৱতঃ তেওঁলোকৰ মুছলিম প্ৰজাবিলাকৰ ল'ৰাবিলাকক সিহঁতৰ মাক-বাপেকৰ লগৰপৰা

সম্পূর্ণ সম্পর্ক ছেদ কৰাই আঁতৰাই নিয়া বা সিহঁতক গোলাম কৰা সহজ নাছিল। সেই কাৰণে তেওঁলোকে সৰু সৰু খ্রীষ্টিয়ান ল'ৰা সংগ্রহ কৰি চুলতানৰ গোলামৰ পৰিয়ালৰ অন্তর্ভুক্ত কৰি সিহঁতক কঠোৰ প্রশিক্ষণ দিছিল। অৱশ্যে সৰু ল'ৰা-বিলাক ডাঙৰ দীঘল হোৱাৰ লগে লগে মুছলিম হৈছিল।

এই পদ্ধতিটো চুলতানসকলৰ সম্পর্কতো প্রয়োগ কৰা হৈছিল। চুলতানে প্রচলিত নিয়মমতে বিয়া নকৰাইছিল। অতি সাৱধানে বাছি উলিউৱা গোলামৰ ছোৱালীবিলাক চুলতানৰ পৰিয়াললৈ পঠিওৱা হৈছিল আৰু সেইবিলাকেই তেওঁৰ সন্তানৰ মাক হৈছিল। এইদৰে ১৮শ শতাব্দীৰ আৰম্ভণি ভাগলৈকে সকলোবিলাক অটোমান চুলতান গোলাম মাকৰ পুতেক আছিল আৰু তেওঁলোকেও গোলামৰ পৰিয়ালৰ আন মানুহৰ দৰে উগ্র প্রশিক্ষণ লব লাগিছিল আৰু কঠোৰ নিয়মানুবর্তিতা পালন কৰিব লাগিছিল।

এইদৰে সাৱধানে গোলাম বছাত, সিহঁতক নিয়মানুবর্তিতা শিকোৱাত আৰু চুলতানৰ বাবৰপৰা আৰম্ভ কৰি তাৰ তলৰ সকলোবিলাক বাবৰ কাৰণে প্রশিক্ষণ দিয়াত কিছু পৰিমাণৰ বিজ্ঞান আছিল। ইয়াৰ ফলত বিশেষ বিশেষ ক্ষেত্রত কিছু পৰিমাণৰ দক্ষতা হৈছিল, নতুন গোলামবিলাকৰ পৰা নেৰা-নেপেৰাকৈ নতুন তেজৰ আমদানি হৈছিল আৰু পুৰুষাণুক্রমে শাসন চলোৱা শ্রেণী বা বর্ণ এটাৰ উদ্ভৱ হব নোৱাৰিছিল। সম্ভৱতঃ এই পদ্ধতিৰ ওপৰতে সাম্রাজ্যখনৰ আগৰ কাল ছোৱাৰ বল নির্ভৰ কৰিছিল। কিন্তু ই দেখদেখকৈ য়ুৰোপ বা এচিয়াৰ অৱস্থাৰ লগত সম্পূর্ণ খাপ নোখোৱা পদ্ধতি আছিল। সামন্ত প্রথাতকৈ ই সম্পূর্ণ বেলেগ আছিল আৰু য়ুৰোপত যিটো পদ্ধতিয়ে সামন্ত প্রথাৰ ঠাই লৈছিল, তাৰ লগতো নোৱাৰিছিল। তেতিয়াৰপৰা গোলামৰ পৰিয়ালত পুৰুষাণুক্রমৰ ভাব এটা সোমাই-ছিল আৰু সেই পৰিয়ালৰ মানুহৰ পুতেকবিলাকেও পিতাকহঁতৰ বাব লব পাৰি-ছিল। আন বহুত প্রকাৰেও পদ্ধতিটো ক্রমে ঢিলা হৈছিল। কিন্তু পটভূমি আগৰ দৰেই আছিল আৰু ইয়াৰ কাৰণেই অনেক শতাব্দী জুৰি তুৰস্কৰ য়ুৰোপৰ লগত ঘনিষ্ঠ সম্পর্ক হৈ থকা সত্বেও সেই দেশ য়ুৰোপতকৈ সম্পূর্ণ বেলেগ আছিল আৰু য়ুৰোপত আচহুৱা হৈ আছিল। তুৰস্কৰ ভিতৰতো বিদেশী মানুহবিলাক বেলেগ হৈ আছিল, তেওঁলোকৰ আইন-কানুনো বেলেগ আছিল আৰু স্বকীয়া ৰীতিত তেওঁলোকৰ সমষ্টি গঠিত হৈছিল।

তুৰস্কৰ এই অসাধাৰণ প্রাচীন পদ্ধতিটোৰ বিষয়ে মই তোমাক ইমানবিলাক কথা কৈছোঁ এই কাৰণেই যে ই অপূর্ব আছিল আৰু ই অটোমান সাম্রাজ্যখনৰ গঢ় দিয়াত সহায় কৰিছিল। অৱশ্যে ই এতিয়া নাই ; ই বুৰঞ্জীৰ বিষয় মাথোন হৈছে।

তুৰস্কৰ বোৱা দুশ বছৰৰ বুৰঞ্জী হৈছে ক্রমে উদ্গতি কৰি থকা ৰুচবিলাকৰ বিৰুদ্ধে আৰু অধীনস্থ জাতিবিলাকৰ বিদ্রোহৰ বিৰুদ্ধে অবিৰত যুদ্ধৰ বুৰঞ্জী। গ্রীচ, ৰুমানিয়া, চাৰিয়া, বুলগেৰিয়া, মণ্টেনেগ্রো, বোচ্নিয়া—এই আটাইবিলাক বলকান দেশ অটোমান সাম্রাজ্যৰ অংশ আছিল। অমি আগতে পাইছোঁ যে ১৮২৯

খ্ৰীঃত ইংলেণ্ড, ফ্ৰান্স আৰু ৰাচিয়াৰ সাহায্যত গ্ৰীচ তালাৰ কাটি গৈছিল। ৰুচিয়া এখন শ্লাভ দেশ, বলকান অঞ্চলৰ বুলগেৰীয়া আৰু চাৰ্বিয়াও তেনে। তাৰবে ৰুচিয়াই এই বলকান শ্লাভবিলাকৰ ৰক্ষক আৰু ত্ৰাণকৰ্ত্তা বুলি দেখুৱাবলৈ চেষ্টা কৰিছিল। ৰাচিয়াক আচলতে প্ৰলোভিত কৰিছিল কনষ্টাণ্টিনোপলে আৰু সাম্ৰাজ্যৰ এই প্ৰাচীন ৰাজধানীখন শেহাত্তৰত অধিকাৰ কৰিবৰ উদ্দেশ্যেৰে ৰুচিয়াৰ সকলো কূটনীতি প্ৰয়োগ কৰা হৈছিল আৰু নিজক বাইজেণ্টাইন সম্ৰাটসকলৰ উত্তৰাধিকাৰী বুলি বিবেচনা কৰিছিল। ১৭৩০ খ্ৰীঃত ৰুচিয়া আৰু তুৰস্কৰ মাজত ক্ৰমানুয়ে চলা যুদ্ধবিলাক আৰম্ভ হৈছিল। শান্তিৰ ব্যৱধান থকাকৈ সেই যুদ্ধবিলাক ১৭৬৮, ১৭৯২, ১৮০৭, ১৮২৮, ১৮৫৩, ১৮৭৭ খ্ৰীঃত আৰু শেষত ১৯১৪ খ্ৰীষ্টাব্দত চলি আছিল। ১৭৭৪ খ্ৰীঃত ৰুচিয়াই তুৰস্কৰপৰা ক্ৰিমিয়া লাভ কৰি এইদৰে কৃষ্ণসাগৰ পাইছিলহি। কিন্তু ইয়াৰপৰা বেছি উপকাৰ নহৈছিল, কাৰণ কৃষ্ণসাগৰ বটলৰ ভিতৰত সোমাই থকাৰ দৰে আছিল আৰু সেই বটৰ ডিঙিত বহি আছিল কনষ্টাণ্টিনোপল। ১৭৯২ খ্ৰীঃত আৰু ১৮০৭ খ্ৰীঃত ৰুচিয়াৰ সীমান্ত কনষ্টাণ্টিনোপলৰ ফাললৈ ক্ৰমে বাঢ়ি আহিছিল আৰু তুৰস্কৰ সীমান্ত ক্ৰমে টুটি গৈছিল। গ্ৰীক্‌বিলাকৰ স্বাধীনতাৰ যুদ্ধৰ সময়ত যেতিয়া তুৰ্কবিলাক আনফালে লাগি আছিল তেতিয়া আৰু তুৰ্কবিলাকক আক্ৰমণ কৰি তাৰপৰা লাভ কৰিবলৈ চেষ্টা কৰিছিল। ইংলেণ্ড আৰু অষ্ট্ৰিয়াই হস্তক্ষেপ নকৰা হলে তেওঁ কনষ্টাণ্টি-নোপল অধিকাৰ কৰিলেহেঁতেন।

ইংলেণ্ড আৰু অষ্ট্ৰিয়াই ৰুচিয়াৰ হাতৰপৰা তুৰস্কক কিয় ৰক্ষা কৰিছিল? তুৰস্কক ভাল পোৱাৰ কাৰণে নকৰিছিল, ৰুচিয়াৰ প্ৰতিদ্বন্দ্বিতাৰ কাৰণে আৰু সেই দেশলৈ ভয় নকৰাৰ কাৰণেহে কৰিছিল। এচিয়া আন আন ঠাইত ৰুচিয়া আৰু ইংলেণ্ডৰ পৰম্পৰাগত প্ৰতিদ্বন্দ্বিতাৰ কথা মই তোমাক আগতেও কৈছোঁ। ভাৰতবৰ্ষৰ অধিকাৰে বিশেষকৈ বৃটিছবিলাকক ৰুচিয়াৰ ঠিক সীমান্তলৈকে নিছিল আৰু তাৰবে ৰুচিয়াই ভাৰতবৰ্ষত কি কৰিব তাৰ কথা ভাবি তেওঁলোকে অবিৰত-ভাৱে কাল্পনিক ভয় খাই আছিল। সেই কাৰণে ৰুচিয়াৰ কামত আৰু সেই দেশৰ শক্তি বৃদ্ধিত বাধা দিয়া বৃটিছৰ নীতি আছিল। কনষ্টাণ্টিনোপল অধিকাৰ কৰিব পৰা হলে ৰুচিয়াই ভূমধ্য সাগৰত এটা সুন্দৰ বন্দৰ পালেহেঁতেন আৰু ভাৰতবৰ্ষলৈ অহা বাটৰ ওচৰত যুদ্ধ জলজাহাজৰ এটা গোট ৰাখিব পাৰিলেহেঁতেন। ইয়াৰপৰা বিপদৰ আশঙ্কা ইমান বেছি আছিল যে তেনে হবলৈ দিয়া অনুচিত বুলি ভবা হৈছিল। সেই কাৰণে ইংলেণ্ডে বাৰে বাৰে ৰাচিয়াক তুৰস্কক দমন কৰাৰপৰা বিৰত ৰাখিছিল। ৰাচিয়াক আঁতৰ কৰি ৰখাত অষ্ট্ৰিয়াৰো স্বাৰ্থ আছিল। সেই সেই কালত অষ্ট্ৰিয়া এখন সৰু দেশ আছিল, কিন্তু কেইবছৰমানৰ পূৰ্বে ই বলকান অঞ্চলৰ লগালগি এখন সাম্ৰাজ্য আছিল আৰু তুৰস্ক ভাগ ভাগ হলে বলকান দেশবিলাকৰ এটা ভাগ অষ্ট্ৰিয়াই পাবলৈ বিচাৰিছিল। সেই কাৰণে ই ৰুচিয়াক আঁতৰত ৰাখিব লগা হৈছিল।

দুৰ্ভগীয়া তুৰস্কৰ বেয়া দিন হোৱা যেন দেখা গৈছিল, এই শক্তিশালী ওচৰ চুবুৰীয়াবিলাকে সেই দেশৰ ওপৰত থাপ মাৰি তাক খণ্ড খণ্ড কৰিবৰ অৰ্থে সেই

দেশত কিবা এটা ঘটালৈ অপেক্ষা কৰি আছিল। ১৮৫৩ খ্ৰীঃত ৰুচিয়াৰ জাৰে তুৰস্কৰ প্ৰসঙ্গত বৃটিছ ৰাষ্ট্ৰদূতজনক কৈছিল, "আমাৰ হাতত এটা ৰুগীয়া মানুহ আছে, অতি ৰুগীয়া মানুহ। আমাৰ হাততে সি হঠাৎ মৰিব পাৰে।........" কথাষাৰ প্ৰখ্যাত হৈছিল আৰু তেতিয়াৰপৰা তুৰস্ক ' য়ুৰোপৰ ৰুগীয়া মানুহ ' হৈছিল। কিন্তু ৰুগীয়া মানুহজনৰ অতি দীঘলীয়া কালৰ পাছতহে মৃত্যু হৈছিল।

১৮৫৩ খ্ৰীঃৰ বছৰটোতে জাৰে ৰুগীয়া মানুহ জনক শেষ কৰিবলৈ আন এটা চেষ্টা কৰিছিল। তাৰ ফলত ক্ৰিমিয়াৰ যুদ্ধ হৈছিল, সেই যুদ্ধত ইংলেণ্ড আৰু ফ্ৰান্সে বাধা দিছিল। ২১ বছৰৰ পাচত ১৮৭৭ খ্ৰীঃত জাৰে পুনৰ তুৰস্ক আক্ৰমণ কৰি সেই দেশক পৰাজিত কৰিছিল ; কিন্তু পুনৰ বিদেশীৰ মধ্যস্থতাই ইয়াক কিছু পৰিমাণে ৰক্ষা কৰিছিল , অন্ততঃ ৰুচিয়াৰ হাতৰপৰা কনষ্টাণ্টিনোপল ৰক্ষা কৰিছিল। তুৰস্কৰ শেষ পৰিণতিৰ বিষয়ে বিবেচনা কৰিবলৈ ১৮৭৮ খ্ৰীঃত বালিনত এখন বিখ্যাত আন্তৰ্জাতিক সন্মিলন হৈছিল, বিচমাৰ্ক, ডিজৰেলি আৰু য়ুৰোপৰ আন বহুত প্ৰধান ৰাজনীতিজ্ঞ লোক তাত আছিল, তেওঁলোকে ইজনে সিজনক ভাবুকি দিছিল আৰু ইজনে সিজনৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল। ইংলেণ্ডে যেতিয়া ৰাচিয়াৰ বিৰুদ্ধে যুদ্ধ লগোৱাৰ উপক্ৰম কৰা যেন দেখা গৈছিল, তেতিয়া ৰুচিয়া সৈমান হৈছিল। বালিনৰ সন্ধিৰ ফল স্বৰূপে বলকান দেশ বুলগেৰিয়া, চাৰ্বিয়া, ৰুমানিয়া আৰু মণ্টেনেগ্ৰোৱে স্বাধীনতা লাভ কৰিলে ; অষ্ট্ৰিয়াই বোচনিয়া আৰু হাৰ্জ্জেগোভিনা অধিকাৰ কৰিলে (নীতিমতে এই ৰাজ্য দুখন তুৰস্কৰ শ্ৰেষ্ঠ কৰ্তৃত্বৰ অধীনত ৰৈছিল) ; বৃটেনে কিছু পৰিমাণে তুৰস্কৰ পক্ষ লোৱাৰ কাৰণে এক প্ৰকাৰৰ কামৰ পুৰস্কাৰ স্বৰূপে চাইপ্ৰাচ দ্বীপটো ললে।

ৰুচিয়া আৰু তুৰস্কৰ মাজত ইয়াৰ পিছত লগা যুদ্ধখন ৩০ বছৰৰ পাছত বিশ্ব যুদ্ধখনৰ এটা ভাগ স্বৰূপে ১৯১৪ খ্ৰীঃত হৈছিল।

ইতিমধ্যে তুৰস্কত যথেষ্ট পৰিবৰ্ত্তন ঘটিছিল। ১৭৭৪ খ্ৰীঃত ৰুচিয়াই তুৰ্কবিলাকক চূড়ান্তভাৱে পৰাজিত কৰা ঘটনাই তেওঁলোকক প্ৰথম আঘাত দিছিল আৰু তেওঁলোকক উপলব্ধি কৰাইছিল যে য়ুৰোপৰ অৱশিষ্টভাগে তেওঁ লোকক পিছ পেলাই থৈ গ'ল। সামৰিক জাতি স্বৰূপে এই কথাটো তেওঁলোকৰ প্ৰথমতে মনত লাগিছিল যে তেওঁলোকৰ সৈন্যবাহিনী সময়োপযোগী কৰা উচিত। কিছু পৰিমাণে এনে কৰা হৈছিল আৰু নতুন সামৰিক বিষয়াবিলাকৰ শ্ৰেণীটোৰ জৰিয়তেই পশ্চিমীয়া ভাববিলাকে ধীৰে ধীৰে তুৰস্কত প্ৰৱেশ কৰিছিল। মই তোমাক আগতে কৈছোঁ যে তাত মধ্যবিত্তৰ এটা বিশেষ শ্ৰেণী নাছিল বা আন কোনো সংগঠিত শ্ৰেণী নাছিল। ১৮৫৩-৫৬ খ্ৰীঃৰ ক্ৰিমিয়াৰ যুদ্ধৰ পাচত পাশ্চত্যীকৰণৰ এটা প্ৰকৃত চেষ্টা কৰা হৈছিল। সাংবিধানিক পদ্ধতিৰ শাসন ব্যৱস্থাৰ (ইয়াৰ অৰ্থ আছিল চুলতানৰ স্বেচ্ছাচাৰী শাসনৰ পৰিবৰ্তে এখন গণতান্ত্ৰিক সংসদৰ) পক্ষপাতী এটা আন্দোলনৰ ক্ৰমে উদ্ভৱন হৈছিল। মিধাৎপাছা ইয়াৰ নেতা আছিল। ১৮৭৬ খ্ৰীঃত কনষ্টাণ্টিনোপলত সংবিধানৰ সমৰ্থনত কেইটামান সংঘৰ্ষ হৈছিল, চুলতানে সংবিধান মঞ্জুৰ কৰিছিল, কিন্তু বুলগেৰিয়াৰ বিদ্ৰোহ আৰু ৰুচিয়াৰ যুদ্ধৰ কাৰণে প্ৰায় লগে লগেই ইয়াক প্ৰত্যাহাৰ কৰা হৈছিল : এই

যুদ্ধত কৰা অপৰিমিত ব্যয়ৰ কাৰণে আৰু অৰ্থনৈতিক কোনো মৌলিক পৰিবৰ্ত্তন নকৰাকৈ শাসনৰ শীৰ্ষস্থানৰ সংস্কাৰত কৰা খৰচৰ কাৰণে তুৰ্কী চৰকাৰ দেৱলীয়া হৈছিল। তাৰ ফলত পশ্চিমীয়া বিত্তীয় কাৰবাৰ চলোৱা মানুহবিলাকৰপৰা ধন ধাৰ কৰিব লগা হৈছিল আৰু এই মানুহবিলাকে ৰাজহৰ এটা ভাগত কৰ্তৃত্ব চলাইছিল। এইদৰে পাশ্চাত্যীকৰণৰ আৰু সংস্কৰণৰ চেষ্টা কৃতকাৰ্য নহল। সাম্ৰাজ্যৰ প্ৰাচীন গাঁথনিৰ লগত ইয়াক খাপ খুউৱা টান হ'ল।

বিংশ শতাব্দীৰ আৰম্ভণীৰ আগত সংবিধান এখনৰ কাৰণে দাবী শক্তিশালী হৈছিল। আগৰদৰে তেতিয়াও সামৰিক বিষয়বিলাক মাথোন সংগঠিত মানুহ আছিল আৰু তেওঁলোকৰ মাজতেহে 'যুব তুৰ্ক দল' বোলা নতুন দলটো দ্ৰুত গতিৰে বিস্তৃত হৈছিল। 'একতা আৰু প্ৰগতিৰ সমিতি' নামৰ গুপ্ত সমিতি কিছুমান সংগঠিত হৈছিল, সেই সমিতিবিলাকে সৈন্যবাহিনীৰ ভাওৰ এটা ভাগ তেওঁলোকৰ ফলীয়া কৰি লৈ ১৯০৮ খ্ৰীঃত ১৮৭৬ খ্ৰীঃৰ পুৰণি সংবিধানখন প্ৰৱৰ্ত্তিত কৰাবলৈ চুলতানক বাধ্য কৰিছিল। মহা আনন্দ প্ৰকাশ কৰা উৎসৱ হৈছিল আৰু তুৰ্ক, আৰ্মেনিয়ান আৰু আন যিবিলাক মানুহে তাৰ আগলৈকে সাধাৰণতে ইজনে সিজনক হত্যা কৰিছিল, সেই সকলোবিলাক নতুন যুগ এটাৰ সূচনাত ইজনে সিজনক আলিঙ্গন কৰি আনন্দৰ চকুপানী টুকিছিল, তেওঁলোকে ভাবিছিল যে নতুন যুগত সকলো সমান হব আৰু অধীনস্থ জাতিবিলাকে পূৰ্ণ অধিকাৰ লাভ কৰিব। এন্‌ভেৰবে এই ৰক্তপাত হীন বিপ্লৱৰ প্ৰধান বীৰ আছিল, মুন্দৰ চেহেৰাৰ এই মানুহজন গৰ্বী কিন্তু নিৰ্ভীক আৰু দুঃসাহসী আছিল। মুস্তাফা কেমালো "যুব তুৰ্ক দল"ৰ এজন প্ৰধান নেতা আছিল, কিন্তু এন্‌ভেৰৰ তুলনাত তেওঁ নগণ্য আছিল আৰু দুয়োৰো মাজত প্ৰীতি-ভাব নাছিল, পিচত কেমাল তুৰস্কৰ ত্ৰাণকৰ্ত্তা হৈছিল।

যুব তুৰ্কী দলৰ সুখৰ সময় নাছিল। চুলতানে তেওঁলোকক জুলুম কৰিছিল, ৰক্তপাত হৈছিল আৰু চুলতানক সিংহাসনৰপৰা নমাই তেওঁৰ ঠাইত আন এজনক বহুৱা হৈছিল। দেশত অৰ্থনৈতিক সঙ্কট আৰু বিদেশী শক্তিবিলাকৰপৰা অশান্তি হৈছিল। অষ্ট্ৰিয়াই প্ৰচলিত বিশৃঙ্খলাৰ সুযোগ লৈ বোচনিয়া আৰু হাৰ্জেগোভিনা স্থায়ীভাৱে অধিকাৰ কৰাৰ কথা ঘোষণা কৰিছিল (বাৰ্লিনৰ সন্ধিৰ পাছত ১৮৭৮ খ্ৰীঃত সেই দেশে এই দুই ৰাজ্য অধিকাৰ কৰিছিল) ইটালীয়ে উত্তৰ আফ্ৰিকাৰ ত্ৰিপলী বলেৰে অধিকাৰ কৰি যুদ্ধ ঘোষণা কৰিছিল। তুৰ্কীবিলাকে তেওঁলোকৰ উপযুক্ত নৌবাহিনী নথকাৰ কাৰণে প্ৰায় একো কৰিব নোৱাৰি ইটালিৰ দাবী মানি লব লগা হৈছিল। এই কাম ভালকৈ অন্ত কৰিবলৈ নৌ পাওঁতেই তেওঁলোক দেশৰ বেছি ওচৰৰ আন এটা বিপদৰ সন্মুখীন হৈছিল। বুলগেৰীয়া, চাৰ্বিয়া, গ্ৰীচ আৰু মণ্টেনেগ্ৰো আগৰেপৰা তুৰস্কৰ য়ুৰোপৰপৰা খেদি লুটৰ বস্তু ভগাই লবলৈ ব্যগ্ৰ হৈ আছিল, সেই দেশবিলাকে সময়টো অনুকূল যেন দেখি 'বলকান সংঘ' এটাত কেইখন দেশ মিত্ৰতা সূত্ৰত একগোট হৈ ১৯১২ খ্ৰীঃত তুৰস্ক আক্ৰমণ কৰিছিল। তুৰস্ক দুৰ্বল আৰু সংগঠনহীন আছিল আৰু সংবিধানৰ দাবী কৰা মানুহবিলাক আৰু প্ৰতিক্ৰিয়াশীলবিলাকৰ মাজত ক্ষমতা লাভৰ কাৰণে কেৰিয়াকেৰি

লাগি আছিল। বলকান সংঘৰ আক্ৰমণত সেই দেশৰ সম্পূৰ্ণ পৰাভূত হৈছিল আৰু দেশৰ বিশাল ক্ষতি হৈছিল। এইদৰে কেইমাহমানৰ ভিতৰতে প্ৰথম বলকান যুদ্ধখনৰ অন্ত পৰিছিল আৰু তুৰস্কক প্ৰায় সম্পূৰ্ণকৈ য়ুৰোপৰপৰা খেদি পঠোৱা হৈছিল, যুঠেই কনষ্টাণ্টিনোপল সেই দেশৰ ভাগত বৈছিল। আনকি য়ুৰোপত সেই দেশৰ আটাইতকৈ প্ৰাচীন চহৰ আড্ৰিয়ানোপলো সেই দেশৰ ইচ্ছাৰ ঘোৰ বিৰুদ্ধে জোৰ কৰি সেই দেশৰ হাতৰপৰা কাঢ়ি নিয়া হৈছিল।

পিছে অতি শীঘ্ৰে বিজয়ীবিলাকৰ মাজত লুটৰ সম্পৰ্কত কন্দল হৈছিল আৰু বুলগেৰিয়াই হঠাৎ আৰু বিশ্বাসঘাটকতা কৰি সেই দেশৰ আগৰ মিত্ৰদেশবিলাক আক্ৰমণ কৰিছিল। দুয়োফালে হত্যাকাণ্ড হৈছিল আৰু এই হুলস্থুলৰপৰা লাভ কৰিবৰ অৰ্থে আগেয়ে আঁতৰ হৈ থকা ৰুমানিয়াই ইয়াত যোগ দিছিল। পৰিণামত বুলগেৰিয়াই আগেয়ে যিখিনি লাভ কৰিছিল সেই সকলোখিনি হেৰুৱাইছিল আৰু ৰুমানিয়া, গ্ৰীচ আৰু চাৰ্বিয়াই নিজৰ নিজৰ ৰাজ্য বহুতো বঢ়াইছিল। তুৰস্কয়ো আড্ৰিয়ানোপল ঘূৰাই পাইছিল। বলকান অঞ্চলৰ ৰাজ্যবিলাকৰ পৰস্পৰৰ প্ৰতি থকা ঘৃণা এটা আশ্চৰ্যজনক ঘটনা আছিল। বলকান দেশবিলাক সৰু, কিন্তু বহুত সময়ত সেইবিলাক য়ুৰোপৰ বৃহৎশক্তি ডাঙৰ ডাঙৰ ঘটনাৰ ধুমুহাবোৰ ইয়াৰ পৰাই আৰম্ভ হয়।

১৯০৯ খ্ৰীঃত যুৱ তুৰ্ক দলে যিজন চুলতানক সিংহাসনৰপৰা নমাইছিল, তেওঁ এজন ৰহস্যজনক মানুহ আছিল। তেওঁৰ নাম আছিল ২য় আব্দুল হামিদ আৰু ১৮৭৬ খ্ৰীঃত তেওঁ সিংহাসনত উঠিছিল। সংস্কাৰ আৰু নতুনত্বলৈ তেওঁৰ প্ৰীতি নাছিল, কিন্তু তেওঁ নিজৰ পদ্ধতিত যোগ্য ব্যক্তি আছিল আৰু বৃহৎ শক্তিবিলাকক এটাৰ বিৰুদ্ধে আন এটাক তোলাত তেওঁ যশস্যা আৰ্জিছিল। তোমাৰ মনত পৰিব যে সকলোবিলাক চুলতান খলিফাও অৰ্থাৎ ইচলাম ধৰ্মৰ মুৰব্বীও আছিল। আব্দুল হামিদে তেওঁৰ এই মৰ্য্যাদাটোৰ সুযোগ লৈ নিজৰ সুবিধাৰ অৰ্থে সৰ্ব ইচলামীয় আন্দোলন এটা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল, এই আন্দোলনৰ অৰ্থ আছিল এই যে আনবিলাক দেশৰ মুছলিমেও ইয়াত যোগ দিব পাৰিব আৰু তাৰপৰা সেই সকলোবিলাক দেশৰ সমৰ্থন লাভ কৰিব পাৰিব। কেইবছৰমান য়ুৰোপ আৰু এচিয়াত এই সৰ্ব-ইচলামীয় আন্দোলনৰ কথা-বতৰা অলপ চলিছিল, কিন্তু ইয়াৰ যথাৰ্থ ভিত্তি নাছিল আৰু মহাসমৰখনে ইয়াৰ সম্পূৰ্ণ অন্ত কৰিছিল। তুৰস্কত জাতীয়তাবাদে সৰ্ব-ইচলামীয় আন্দোলনৰ বিৰোধিতা কৰিছিল আৰু এই দুটাৰ ভিতৰত জাতীয়তাবাদ বেছি শক্তিশালী বুলি প্ৰমাণিত হৈছিল।

চুলতান আব্দুল হামিদ য়ুৰোপত বৰ অপ্ৰিয় হৈছিল, কাৰণ বুলগেৰীয়া, আৰ্মেনিয়া আৰু আন আন ঠাইৰ ভীষণ অত্যাচাৰ আৰু সমূহীয়া হত্যাকাণ্ডৰ কাৰণে তেওঁ দায়ী বুলি বিবেচনা কৰা হৈছিল। গ্লেডষ্টোনে তেওঁক 'শ্ৰেষ্ঠ হত্যা-কাৰী' বুলিছিল আৰু ইংলেণ্ডত এই ভীষণ অত্যাচাৰবিলাকৰ এটা আন্দোলনত নেতৃত্ব কৰিছিল। তুৰ্কীবিলাকেও তেওঁৰ ৰাজত্বৰ কালছোৱাক তেওঁলোকৰ বুৰঞ্জীৰ আটাইতকৈ বেছি কুলক্ষণীয়া কাল বুলি বিবেচনা কৰে। বলকান অঞ্চলত আৰু আৰ্মেনিয়াত সমূহীয়া হত্যাকাণ্ড আৰু ভীষণ অত্যাচাৰ যথেষ্টৰূপে নিয়মীয়া ঘটনা

হৈছিল যেন লাগে আৰু য়ুৰোপকে এইবিলাক চলাইছিল। তুৰ্কীবিলাকে বলকান জাতিবিলাকৰ মানুহ আৰু আৰ্মেণিয়াৰ মানুহ সমূহীয়াকৈ বধ কৰাৰ কাৰণে তেওঁলোক যেনে দোষী আছিল, সেই জাতিবিলাকৰ মানুহে তুৰ্কীবিলাকক বধ কৰাৰ কাৰণে তেওঁলোকো তেনে দোষী আছিল। অনেক শতাব্দী জোৰা জাতিগত আৰু ধৰ্ম বিষয়ৰ শত্ৰুতা এই জাতিবিলাকৰ প্ৰকৃতিত বদ্ধমূল হৈছিল আৰু সেয়ে ভয়ঙ্কৰভাৱে প্ৰকাশিত হৈছিল। আৰ্মেণিয়াই আটাইতকৈ বেছি ভুগিছিল। ককেচাচ পৰ্বতৰ কাষৰ এই দেশখন এতিয়া ছোভিয়েট গণৰাষ্ট্ৰবিলাকৰ ভিতৰৰ এখন গণৰাষ্ট্ৰ।

এইদৰে বলকান যুদ্ধবিলাকৰ পাছত তুৰস্ক জুকলা অৱস্থাত পৰিছিল আৰু য়ুৰোপত ইয়াৰ মুঠেই খোজ ৰাখিব পৰা ঠাই অকণমান আছিল। সেই দেশৰ সাম্ৰাজ্যৰ অৱশিষ্ট অংশ ছিন্ন-ভিন্ন হৈছিল। মিচৰ অৱশ্যে নামত যথোন তুৰস্কৰ আছিল,আচলতে বৃটেইনে সেই দেশ অধিকাৰ কৰি তাক শোষণ কৰিছিল। কিন্তু আন আৰব দেশবিলাকেও জাতীয় আন্দোলনৰ চিন দেখুৱাইছিল। আচৰিত হবলগীয়া কথা নহয় যে তুৰস্ক নিৰাশ হৈছিল আৰু তাৰ মানুহৰ ভ্ৰম ভাগিছিল। ১৯০৮ খ্ৰীঃত সকলোবিলাক উচ্চ আশা শেষত ভস্মীভূত হোৱা যেন দেখা গৈছিল। জাৰ্মাণীয়ে পূব ফাললৈ চকু দিছিল আৰু সমগ্ৰ মধ্য প্ৰাচ্যত জাৰ্মাণ প্ৰভাৱ বিস্তাৰিত হোৱাৰ সপোন দেখিছিল। তুৰস্কও জাৰ্মাণীৰ ফলীয়া হৈছিল আৰু এই দুই দেশৰ সম্পৰ্ক বাঢ়িছিল। দ্বিতীয় বলকান যুদ্ধখন শেষ হোৱাৰ মুঠেই এবছৰৰ পাচতে যেতিয়া ১৯১৪ খ্ৰীঃৰ বিশ্বযুদ্ধখন আৰম্ভ হৈছিল, তেতিয়া তুৰস্কৰ অৱস্থা এনে আছিল। তুৰস্কই জিৰণি লবলৈ সময় নাপাইছিল

১৪৩

জাৰসকলৰ ৰুচিয়া

১৬ মাৰ্চ, ১৯৩৩

আজিকালি ৰুচিয়া চোভিয়েট দেশ; বনুৱা আৰু কৃষকৰ প্ৰতিনিধিয়ে ইয়াৰ শাসন চলায়। কিছুমান বিষয়ত ই পৃথিৱীৰ আন সকলোবিলাক দেশতকৈ বেচি উন্নত দেশ। প্ৰকৃত অৱস্থা যিকি নহওক, শাসন আৰু সমাজৰ সমস্ত গাঠনি-টোত সামাজিক সমতাৰ নীতিক ভেটি কৰা হৈছে। এতিয়া তেনে অৱস্থা। কিন্তু কিছুমান বছৰৰ পূৰ্বে আৰু সমস্ত উনবিংশ শতাব্দীটোত আৰু তাৰ পূৰ্বেও ৰুচিয়া য়ুৰোপৰ আটাতকৈ বেছি অনুন্নত আৰু প্ৰতিক্ৰিয়া শীল দেশ আছিল। পূৰ্ণাঙ্গভাৱে স্বেচ্ছাচাৰী শাসন আৰু একনায়কত্ববাদ তাত আড়ম্বৰেৰে চলিছিল, পশ্চিম ইউৰোপত বিপ্লৱবিলাক আৰু পৰিবৰ্তনবিলাক হোৱা সত্বেও, জাৰসকলে তেতিয়াও ৰজাৰ ঐশ্বৰিক স্বত্বৰ নীতিৰ পোষকতা কৰিছিল। আনকি খ্ৰীষ্টিয়ান ধৰ্মযাজকবিলাকো সম্ভৱতঃ আন সকলো ঠাইতকৈ তাত বেছি একনায়কত্ববাদী আছিল; তেওঁলোকে প্ৰাচীন নৈষ্টিক গ্ৰীক খ্ৰীষ্টিয়ান সম্প্ৰদায়ৰ ('গ্ৰীক চাৰ্চ'ৰ আছিল, ৰোমান বা প্ৰটেষ্টাণ্ট সম্প্ৰদায়ৰ নাছিল, তেওঁলোক জাৰৰ শাসনৰ ধৰণী আৰু বাহন আছিল। দেশখনক বোলা হৈছিল 'ধাৰ্মিকতাপূৰ্ণ ৰুচিয়া' আৰু জাৰক বোলা হৈছিল সকলোৰে 'সৰু শ্ৰেতকায় পিতা' আৰু জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ আৰু ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাৰপৰা তেওঁলোকৰ মনোযোগ আঁতৰাবলৈ খ্ৰীষ্টিয়ান ধৰ্মযাজকবিলাকে আৰু কৰ্তৃপক্ষে এই কাহিনী-বিলাক চলাইছিল। বুৰঞ্জীৰ ধাৰাত ধাৰ্মিকতা আচৰিত লগৰীয়া হৈ আছে।

এই 'ধাৰ্মিকতাপূৰ্ণ ৰুচিয়া'ৰ আদৰ্শ প্ৰতীক আছিল 'ক্নুট' নামৰ চাবুকডাল আৰু সঘনে চলোৱা কাম আছিল 'পগ্ৰম' নামৰ শাস্তিটো, এই শব্দ দুটা জাৰৰ ৰুচিয়াই পৃথিৱীক উপহাৰ দিছে। 'ক্নুট' নামৰ চাবুকডাল ব্যৱহাৰ কৰা হৈছিল মাটিৰ কামত লগোৱা গোলামবিলাকক আৰু আনক শাস্তি দিবলৈ। 'পগ্ৰম' অৰ্থ ধ্বংস আৰু সংগঠিত উৎপীড়ন। কামত ইয়াৰ অৰ্থ হৈছিল সমূহীয়া হত্যা, বিশেষকৈ ইহুদীবিলাকক তেনেকৈ হত্যা কৰা। আৰু জাৰৰ ৰুচিয়াৰ পিচফালে আছিল চাইবেৰিয়াৰ নিৰ্জন আৰু বিশাল 'ষ্টেপ' বিলাক (আবাদ

নকৰা সমভূমিবিলাক), চাইবেৰিয়া নামটোৰ লগত আগৰেপৰা নিৰ্বাসন, বন্দীশাল আৰু নিৰাশাৰ সম্বন্ধ হৈ আছিল। ৰাজনৈতিক অপৰাধৰ কাৰণে সশ্ৰম কাৰাদণ্ড দিয়া বহুত বন্দীয়াৰক চাইবেৰিয়ালৈ পঠিওৱা হৈছিল; তাত নিৰ্বাসিত মানুহৰ বিস্তৃত বাহৰ আৰু উপনিৱেশ স্থাপিত হৈছিল আৰু সেইবিলাকৰ প্ৰত্যেকটোৰ কাষে কাষে আত্মঘাতী মানুহৰ কবৰবিলাক আছিল। দীঘলীয়া কাল নিৰ্জন নিৰ্বাসন আৰু বন্দীশাল সহ্য কৰা টান, এনে অৱস্থাৰ হেঁচাত বহুত সাহসী মানুহৰ মন ভাগিছে আৰু শৰীৰ নষ্ট হৈছে। নিজৰ বন্ধু-বান্ধৱ আৰু লগৰীয়াৰপৰা আৰু যিবিলাকে নিজৰ আশা ভৰসাৰ ভাগ লয় আৰু বোজা পাতলায়, তেওঁলোকৰ বহুত দূৰৈত পৃথিৱীৰপৰা বিচ্ছিন্ন হৈ বাস কৰিবলৈ মানুহৰ মনৰ বল থাকিব লাগিব; শান্তি আৰু সুস্থিৰ আন্তৰিক শক্তি থাকিব লাগিব আৰু সহ্য কৰাৰ সাহস থাকিব লাগিব। এইদৰে জাৰৰ ৰুচিয়াই যেয়ে মূৰ দাঙিছিল তাৰে মূৰত আঘাত কৰি বগৰাই পেলাইছিল আৰু মুক্তি লাভৰ কাৰণে চলোৱা সকলো চেষ্টাকে নিৰ্মূল কৰি-ছিল। আনকি, বাহিৰৰপৰা উদাৰ ভাৱ সেই দেশলৈ যাব নোৱাৰা কৰিবৰ অৰ্থে এঠাইৰপৰা আন ঠাইলৈ যোৱাও সঙ্কটজনক কৰা হৈছিল। কিন্তু দমাই ৰখা মুক্তিয়ে চক্ৰবৃদ্ধি হাৰত সুদ বঢ়াই লোৱাৰ ইয়াৰ এটা ৰীতি আছে, আৰু ই যেতিয়া আগলৈ গতি কৰে, তেতিয়া ই জাপ মাৰি মাৰি উদ্গতি কৰাৰ সম্ভাৱনা হয় আৰু এই জাপবিলাকে পূৰণি সকলোবিলাক পৰিকল্পনা নষ্ট কৰে।

আমাৰ আগৰ চিঠি কেইখনমানত এচিয়া আৰু য়ুৰোপৰ বিভিন্ন ভাগত— দূৰ প্ৰাচ্যত, মধ্য এচিয়াত, পাৰস্য আৰু তুৰস্কত জাৰৰ ৰুচিয়াত চলোৱা কাৰ্য-কলাপ আৰু নীতিবিলাকৰ বিষয়ে অলপ আভাস দিয়া হৈছে। এতিয়া চিত্ৰটো অলপ পূৰাই প্ৰধান বিষয়টোৰ লগত বিভিন্ন এই কাৰ্যকলাপবিলাকৰ সম্পৰ্ক দেখুৱা যাওক। ৰুচিয়াৰ ভৌগোলিক অৱস্থান এনে যে ইয়াৰ সদায় দুখন মুখ হৈ আছে, এখনে পশ্চিম ফালে চায় আৰু আনখনে পূৱফালে চায়। ইয়াৰ এনে অৱস্থাৰ কাৰণেই ই 'ইউৰেচিয়ান' শক্তি (সংযুক্ত য়ুৰোপ আৰু এচিয়াৰ শক্তি) হৈ আছে আৰু ইয়াৰ পৰৱৰ্তী কালৰ বুৰঞ্জীত ইয়াৰ স্বাৰ্থ সাল-সলনিকৈ একেবাৰ পশ্চিমফালে আৰু একোবাৰ পূৱফালে হৈ আছে। পশ্চিমফালে ই বিতাৰিত হলে পূব ফাললৈ মন কৰিছিল, পূৱফালে বাধা পালে ই পুনৰ পশ্চিম ফাললৈ ঘূৰিছিল।

মই তোমাক আগতে প্ৰাচীন মঙ্গোল সাম্ৰাজ্য ভাগি যোৱাৰ কথা, চেংগিজখানৰ উত্তৰাধিকাৰৰ কথা আৰু কেনেকৈ ৰুচ ৰজাবিলাকে মস্কোৰ ৰজাৰ নেতৃত্বত মঙ্গোলবিলাকৰ 'সোণালী অৰ্দী উপজাতি'টোক অৱশেষত ৰুচিয়াৰপৰা খেদি পঠিয়াইছিল তাৰ কথা কৈছোঁ। ১৪শ শতাব্দীৰ শেষত এইবিলাক ঘটনা ঘটি-ছিল। মস্কোৰ ৰজাসকল কালক্ৰমে সমগ্ৰ দেশখনৰ স্বেচ্ছাচাৰী শাসক হৈ নিজক জাৰ (বা চিজাৰ) বুলিছিল। তেওঁলোকৰ দৃষ্টিভঙ্গী আৰু ৰীতিনীতি বাহিৰে মঙ্গোলীয় হৈ আছিল আৰু তেওঁলোকৰ লগত পশ্চিম য়ুৰোপৰ মিলনৰ বল অতি অলপ আছিল, পশ্চিম য়ুৰোপৰ মানুহে ৰুচিয়াক বৰ্বৰ বুলি বিবেচনা কৰিছিল। ১৬৮৯ খ্ৰীষ্টাব্দত পিটাৰ সিংহাসনত উঠিছিল তেওঁক মহৎ পিটাৰ বোলা

হয়। তেওঁ ৰুচিয়াক পশ্চিম ফাললৈ চোৱা কৰিবলৈ সিদ্ধান্ত কৰিছিল আৰু য়ুৰোপৰ দেশবিলাকৰ অৱস্থা পৰ্যালোচনা কৰিবৰ অৰ্থে তেওঁ দীঘলীয়া কাল সেইবিলাক দেশত ভ্ৰমণ কৰিছিল। তেওঁ যি দেখিছিল, তাৰ বহুত ভাগ অনুকৰণ কৰিছিল আৰু তেওঁৰ পাশ্চাত্যীকৰণৰ ভাববিলাক তেওঁৰ অনিচ্ছুক আৰু অজ্ঞ সম্ভ্ৰান্ত মানুহবিলাকৰ ওপৰত আৰোপ কৰিছিল। জনসাধাৰণ অৱশ্যে অতি অনুন্নত আৰু উৎপীড়িত আছিল আৰু তেওঁলোকে তেওঁৰ সংস্কাৰৰ বিষয়ে কি ভাবিছিল সেই প্ৰশ্ন পিটাৰৰ কাৰণে নাছিল। পিটাৰে দেখা পাইছিল যে তেওঁৰ শ্ৰেষ্ঠ জাতিবিলাক সমুদ্ৰত শক্তিশালী আছিল আৰু তেওঁ সামুদ্ৰিক শক্তিৰ প্ৰাধান্য উপলব্ধি কৰিছিল। কিন্তু বিশাল দেশ ৰুচিয়াৰ তেতিয়া আৰ্কটিক মহাসাগৰৰ বাহিৰে সাগৰেদি যোৱাৰ বাট নাছিল, আৰ্কটিক মহাসাগৰো বেছি সুচল নাছিল। সেই কাৰণে তেওঁ উত্তৰ-পশ্চিমফালে বাল্টিক সাগৰলৈ আৰু দক্ষিণফালে ক্ৰিমিয়ালৈ আক্ৰমণ চলাইছিল। তেওঁ ক্ৰিমিয়া নেপাইছিলগৈ (তেওঁৰ উত্তৰাধিকাৰী-সকলহে পাইছিলগৈ) কিন্তু তেওঁ চুইডেনক যুদ্ধত পৰাস্ত কৰি বাল্টিক সাগৰ পাইছিলগৈ। তেওঁ ফিনলেণ্ড অখাতৰপৰা আঁতৰত নেভা নদীৰ পাৰত চেণ্ট পিটাৰ্চবাৰ্গ নামে পশ্চিমীয়া চানেকীৰ নতুন এখন নগৰ প্ৰতিষ্ঠা কৰিছিল, ইয়াৰপৰা বাল্টিক সাগৰলৈ যাব পৰা হৈছিল। এই নগৰ তেওঁ নিজৰ ৰাজধানী কৰিছিল, এইদৰে যি প্ৰাচীন পৰম্পৰা মস্কোত শেৰ খাই আছিল, তেওঁ সেই পৰম্পৰা ভাঙিবলৈ চেষ্টা কৰিছিল। ১৭২৫ খ্ৰীঃত পিটাৰৰ মৃত্যু হয়।

আধা শতাব্দীতকৈও অধিক কালৰ পাছত ১৭৮২ খ্ৰীঃত ৰুচিয়াৰ আন এজন শাসকে দেশখনক 'পাশ্চাত্যীকৰণ'ৰ চেষ্টা কৰিছিল। তেওঁৰ ২য় কেথেৰিণ নামে এগৰাকী মহিলা আছিল, তেওঁকো মহৎ বোলা হৈছিল। তেওঁ অসাধাৰণ মহিলা আছিল, শক্তিশালিনী, নিষ্ঠুৰা আৰু যোগ্যা আছিল আৰু তেওঁৰ ব্যক্তিগত জীৱনৰ সম্পৰ্কত অপ্ৰিয় খ্যাতি আছিল। তেওঁৰ স্বামী জাৰজনক হত্যা কৰাই তেওঁ ৰুচিয়াৰ সকলো ভাগৰ স্বেচ্ছাচাৰী শাসক হৈছিল আৰু ১৪ বছৰ কাল ৰাজত্ব কৰিছিল। তেওঁ নিজক সংস্কৃতিৰ প্ৰধান পৃষ্ঠপোষক যেন দেখুৱাইছিল আৰু ভল্টেয়াৰৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ চেষ্টা কৰি তেওঁৰ লগত চিঠিৰ আদান-প্ৰদান চলাইছিল। তেওঁ ভাৰ্ছাইৰ ফৰাচী ৰাজ-সভাক কিছুপৰিমাণে অনুকৰণ কৰিছিল আৰু শিক্ষা বিষয়ৰ কিছুমান সংস্কাৰ কৰিছিল। কিন্তু এই সকলোবিলাক শীৰ্ষস্থানত হৈছিল আৰু দেখুৱাবৰ কাৰণে কৰা হৈছিল। সংস্কৃতিক হঠাৎ অনুকৰণ কৰিব নোৱাৰি, ই শিপাৰ লাগে। অনুন্নত জাতি এটাই উন্নত দেশবিলাকক অনুকৰণ কৰি প্ৰকৃত সংস্কৃতিৰ সোণ-ৰূপক বাখোন বহণ সনা গহনালৈ পৰিৱৰ্তিত কৰে। পশ্চিম য়ুৰোপৰ সংস্কৃতি কিছুমান সামাজিক অৱস্থাৰ ভেটিত প্ৰতিষ্ঠিত হৈছিল। পিটাৰ আৰু কেথেৰিণে সেইবিলাক অৱস্থাৰ সৃষ্টি কৰিবলৈ চেষ্টা নকৰাকৈ ওপৰৰ গাথনিটো অনুকৰণ কৰিবলৈ চেষ্টা কৰিছিল, তাৰ ফল হৈছিল এই যে পৰিবৰ্তনবিলাকৰ বোজাটো জনসাধাৰণৰ ওপৰত পৰিছিল আৰু এইবিলাকে প্ৰকৃতপক্ষে দাসত্ব আৰু জাৰৰ স্বেচ্ছাচাৰিতা বেছি শক্তিশালী কৰিছিল।

এইদৰে আমন ৰুচিয়াত এছটাক উপগতিৰ বৰাত একেজপে এবোণ প্ৰতিক্ৰিয়া

হৈছিল। ৰুচ কৃষকবিলাক স্বৰূপতে গোলাম আছিল। তেওঁলোক মাটিৰ লগত বান্ধ খাই আছিল আৰু বিশেষ অনুমতি নোপোৱাকৈ তেওঁলোকে মাটি এৰিব নোৱাৰিছিল। শিক্ষা কিছুমান বিষয়া আৰু বুদ্ধিজীৱিৰ মাজত আবদ্ধ আছিল, তেওঁলোক সকলোৱেই জমিদাৰী চলোৱা ভদ্ৰলোক শ্ৰেণীৰ মানুহ আছিল। স্বৰূপতে মধ্যবিত্ত শ্ৰেণী নাছিলেই আৰু জনসাধাৰণ সম্পূৰ্ণ নিৰক্ষৰ আৰু অনুন্নত আছিল। অতীতত সঘনে কৃষকৰ প্ৰাণনাশী বিদ্ৰোহ হৈছিল, অসহ্য উৎপীড়নৰ কাৰণে এইবিলাক উদ্দেশ্যহীন বিদ্ৰোহ আছিল, আৰু এইবিলাক সম্পূৰ্ণ দমন কৰা হৈছিল। সেই কালত ওপৰ মহলত অলপ শিক্ষা থকাৰ কাৰণে পশ্চিম ‹ ইউৰোপৰ কিছুমান প্ৰচলিত ভাব তলৰ মহলালৈকো সৰকিছিল। সেই কালছোৱা ফচাৰী বিপ্লৱৰ আৰু তাৰ পাছত নেপোলিয়নৰ কাল আছিল। তোমাৰ মনত পৰিব যে নেপোলিয়নৰ পতনৰ ফলত ইউৰোপৰ সকলো ভাগতে প্ৰতিক্ৰিয়া হৈছিল আৰু জাৰ ১ম আলেকজেণ্ডাৰ সম্ৰাটসকলৰ 'ধাৰ্মিকতাপূৰ্ণ মিত্ৰতা' (Holy alliance) স্থাপন কৰি এই প্ৰতিক্ৰিয়াৰ নেতা হৈছিল। তেওঁৰ উত্তৰাধিকাৰীজন আৰু বেছি বেয়া আছিল। ১৮২৫ খ্ৰীঃত ডেকা বিষয়া আৰু বুদ্ধিজিৱীৰ সমষ্টি এটাই অসহনীয় অৱস্থাত পৰি সক্ৰিয় হৈ বিদ্ৰোহ কৰিছিল। তেওঁলোক সকলো জমিদাৰ শ্ৰেণীৰ মানুহ আছিল আৰু তেওঁলোকে জনসাধাৰণ আৰু সৈন্যবাহিনীৰ সমৰ্থন নেপাইছিল, তেওঁলোকক সম্পূৰ্ণ দমন কৰা হৈছিল। তেওঁলোকক 'ডিচেম্বৰীয়া' বোলা হৈছিল কাৰণ তেওঁলোকৰ বিদ্ৰোহ ১৮২৫ খ্ৰীঃৰ ডিচেম্বৰ মাহত হৈছিল। এই বিদ্ৰোহটোৱেই ৰুচিয়াত ৰাজনৈতিক জাগৰণৰ প্ৰথম বাহ্যিক চিন আছিল। ইতি পূৰ্বে কিছুমান গুপ্ত ৰাজনৈতিক সমিতি আছিল, কাৰণ জাৰৰ চৰকাৰে কোনো প্ৰকাৰৰ ৰাজনৈতিক কাৰ্যকলাপ চলাবলৈ নিদিছিল। এই গুপুত সমিতিবিলাক চলি আছিল আৰু বিশেষকৈ বুদ্ধিজীৱী আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰৰ মাজত বৈপ্লৱিক ভাববিলাক বিস্তাৰিত হবলৈ ধৰিছিল।

ক্ৰিমিয়াৰ যুদ্ধত ৰুচিয়াৰ পৰাজয়ৰ পাছত কিছুমান সংস্কাৰ কৰা হৈছিল আৰু ১৮৬১ খ্ৰীঃত জমিদাৰীৰ দাসত্ব প্ৰথা উঠাই দিয়া হৈছিল। কৃষকবিলাকৰ কাৰণে ই এটা ডাঙৰ কথা হৈছিল, তথাপি ইও তেওঁলোকক বেছি সকাহ নিদিছিল, কাৰণ জমিদাৰীৰ পৰা মুক্ত হোৱা গোলামবিলাকক তেওঁলোকৰ ভৰণ-পোষণৰ জোখাৰে মাটি দিয়া নহৈছিল। ইতিমধ্যে বুদ্ধিজীৱীবিলাকৰ মাজত বৈপ্লৱিক ভাববিলাকৰ বিস্তাৰ আৰু লগে লগে জাৰৰ চৰকাৰে সেইবিলাক দমন কৰা কাম চলি আছিল। উন্নত এই বুদ্ধিজীৱীবিলাকৰ লগত কৃষকবিলাকৰ কোনো যোগসূত্ৰ বা মিলনৰ থল নাছিল। সেই কাৰণে সপ্ত দশকৰ আগৰ কালছোৱাত সমাজবাদৰ ভাবাপন্ন ছাত্ৰবিলাকে (তেওঁলোক অতি অস্পষ্ট আৰু আদৰ্শবাদী আছিল) কৃষকবিলাকৰ মাজত তেওঁলোকৰ প্ৰচাৰকাৰ্য চলাবলৈ থিৰ কৰিছিল আৰু হাজাৰ হাজাৰ ছাত্ৰই গাওঁবিলাকত তেওঁলোকৰ চেষ্টা চলাইছিল। কৃষকবিলাকৰ ওচৰত এই ছাত্ৰবিলাক অচিনাকি আছিল। তেওঁলোকে ছাত্ৰবিলাকক বিশ্বাস নকৰিছিল। আৰু জমিদাৰীৰ দাসত্ব প্ৰথা পুনৰ প্ৰচলনৰ কিবা ষড়যন্ত্ৰ চলোৱা বুলি সম্ভৱতঃ তেওঁলোকে সন্দেহ কৰিছিল। সেই কাৰণে এই কৃষকবিলাকে কিবিলাক ছাত্ৰ

নিজৰ জীৱন বিপদাপন্ন কৰি গৈছিল, তেওঁলোকৰ বহুতক স্বৰূপাৰ্থত আটক কৰি ৰাখি জাৰৰ পুলিচৰ হাতত শোধাই দিছিল। জনসাধৰণৰ লগত সম্পৰ্ক নৰখাকৈ ওপৰে ওপৰে কাম কৰিবলৈ চেষ্টা কৰাৰ ই এটা অসাধাৰণ দৃষ্টান্ত আছিল।

কৃষকবিলাকৰ সম্পৰ্কত হোৱা এই সম্পূৰ্ণ বিফলতাটো এই ছাত্ৰবিলাকৰ কাৰণে এটা ডাঙৰ আঘাত হৈছিল আৰু তেওঁলোকে বিৰক্ত আৰু নিৰাশ হৈ 'সন্ত্ৰাসবাদ' বোলা উপায়টো লৈছিল, ইয়াৰ অৰ্থ বোমা মাৰি আৰু আন আন উপায়েৰে কৰ্তৃত্ব চলোৱা মানুহবিলাকক বধ কৰিবলৈ চেষ্টা কৰা। ৰুচিয়াত সন্ত্ৰাসবাদৰ আৰু বোমাৰ নীতিৰ এয়ে আৰম্ভণি আছিল আৰু ইয়াৰ লগে লগে বৈপ্লৱিক কাৰ্যকলাপবিলাকে নতুন ৰূপ লৈছিল। বোমা মৰা এই মানুহবিলাকে নিজক 'বোমাৰে সৈতে উদাৰনৈতিক' বুলিছিল আৰু তেওঁলোকৰ সন্ত্ৰাসবাদী সংঘবিলাকক 'ৰাইজৰ ইচ্ছা' নাম দিয়া হৈছিল। এই নামটো অবান্তৰ আছিল, কাৰণ ইয়াৰ লগত সম্পৰ্ক থকা মানুহবিলাক আপেক্ষিকভাৱে সৰু সৰু সমষ্টিহে আছিল।

এইদৰে দৃঢ়প্ৰতিজ্ঞ যুৱক-যুৱতীৰ এই সমষ্টিবিলাকৰ আৰু জাৰৰ চৰকাৰৰ মাজত এই নতুন সংঘৰ্ষটো আৰম্ভ হৈছিল। ৰুচিয়াৰ অধীনস্থ বহুতো জাতিৰ আৰু সংখ্যালঘিষ্ঠ জাতিৰ মানুহে বিপ্লৱী সমষ্টিবিলাকত যোগ দি সেইবিলাকৰ কলেবৰ বৰকৈ বঢ়াইছিল। এই সকলোবিলাক জাতিৰ প্ৰতি আৰু সংখ্যালঘিষ্ঠ জাতিবিলাকৰ প্ৰতি জাৰৰ চৰকাৰে অসৎ আচৰণ কৰিছিল। তেওঁলোকৰ নিজৰ ভাষাক ৰাজহুৱাভাৱে ব্যৱহাৰ কৰিবলৈ দিয়া নহৈছিল আৰু আন বহুত প্ৰকাৰে তেওঁলোকক হাইৰাণ আৰু অপদস্থ কৰা হৈছিল। পোলেণ্ড উদ্যোগ বিষয়ত ৰুচিয়াতকৈ বেছি উন্নত আছিল, সেই দেশক ৰুচিয়াৰ এখন প্ৰদেশ মাথোন কৰা হৈছিল আৰু পোলেণ্ড নামটোৱেই স্বৰূপাৰ্থত নাইকিয়া হৈছিল। পোলেণ্ডৰ ভাষাটো নিষিদ্ধ কৰা হৈছিল। পোলেণ্ডৰ প্ৰতি যেতিয়া এনে আচৰণ কৰা হৈছিল আন সংখ্যালঘিষ্ঠ গোষ্ঠী আৰু জাতিবিলাকৰ প্ৰতি তাতোকৈ বেয়া আচৰণ কৰা হৈছিল। ষষ্ঠ দশকত পোলেণ্ডত এটা বিদ্ৰোহ হৈছিল, সেই বিদ্ৰোহ অত্যন্ত নিষ্ঠুৰভাৱে দমন কৰা হৈছিল আৰু ৫০,০০০ পোলক চাইবেৰীয়ালৈ পঠিওৱা হৈছিল। ইহুদীবিলাকৰ ওপৰত অবিৰতভাৱে 'পগ্ৰম' অৰ্থাৎ সমূহীয়া হত্যা-কাণ্ড চলোৱা হৈছিল আৰু তেওঁলোকৰ বহুত মানুহ আন দেশত বসতি কৰিবলৈ উঠি গৈছিল।

স্বাভাৱিকতে এই ইহুদী আৰু আন আন মানুহবিলাকে তেওঁলোকৰ জাতিৰ ওপৰত জাৰৰ অত্যাচাৰৰ কাৰণে বৰকৈ ক্ৰোধান্বিত হৈ ৰুচ সন্ত্ৰাসবাদীসকলৰ লগত যোগ দিছিল। এই সন্ত্ৰাসবাদক 'নিহিলিজম' (প্ৰচলিত সকলো সমাজ-ব্যৱস্থা ধ্বংস কৰি নতুন পদ্ধতিৰে সমাজ গঢ়াৰ নীতি) বোলা হৈছিল, ইয়াৰ সংবৰ্ধন হৈছিল আৰু স্বাভাৱিকতে ই ৰক্তপাতী দমনৰ সন্মুখীন হব লাগিছিল আৰু ৰাজনৈতিক অপৰাধীৰ দীঘল দীঘল লানি চাইবেৰীয়াৰ 'ষ্টেপ' অঞ্চলবিলা-কলৈ অতি কষ্টেৰে খোজকাঢ়ি গৈছিল আৰু বহুতক বধ কৰা হৈছিল। এই ভাবুকিটোৰ প্ৰতিকাৰৰ অৰ্থে জাৰৰ চৰকাৰে এটা পদ্ধতি স্থিৰ কৰি তাক অতি

অসাধাৰণভাৱে চলাইছিল। তেওঁলোকে সন্ত্ৰাসবাদী আৰু বিপ্লৱীবিলাকক তেওঁলোকৰ কামত উৎসাহিত কৰিবলৈ তেওঁলোকৰ মাজলৈ গুপ্তচৰ পঠিয়াইছিল আৰু গুপ্তচৰবিলাকে স্বৰূপাৰ্থত বোমাৰে অনিষ্ট সাধন কৰা কামত উৎসাহ দিছিল আৰু আনক তেনে কামত জড়িত কৰিবৰ কাৰণে তেওঁলোকে নিজে সময়ে সময়ে তেনে কাম কৰিছিল। আজেফ এনে এজন বিখ্যাত গুপ্তচৰ আছিল, তেওঁ বোমা মৰা এজন প্ৰধান বিপ্লৱী আছিল আৰু লগে লগে তেওঁ ৰুচিয়াৰ পুলিচৰ গুপ্তচৰ বিভাগৰ এজন প্ৰধান বিষয়া আছিল। এনেবিধৰ আন কিছুমান সঁচা বুলি ভালকৈ প্ৰমাণিত হোৱা উদাহৰণ আছে, সেইবিলাকত পুলিচৰ গুপ্তচৰ বিভাগৰ প্ৰধান বিষয়াই পুলিচৰ প্ৰতিনিধি স্বৰূপে আনক বিপদত পেলাবলৈ বোমা মৰাত অভ্যস্ত আছিল।

যি কালত এই সকলোবিলাক ঘটি আছিল, সেই কালত ৰুচিয়াৰ ৰাজ্য অবাধিতভাৱে পূবফালে বিস্তৃত হৈ আছিল, আৰু মই তোমাক আগতে কোৱাৰ দৰে এই ৰাজ্যই প্ৰশান্ত মহাসাগৰ চুইছিলগৈ। মধ্য এচিয়াত সেইবিলাক আফগানিস্থানৰ সীমান্তলৈকে বিস্তৃত হৈছিল আৰু দক্ষিণ ফালে তুৰস্কৰ সীমান্ত ছেৰাই গৈছিল। ষষ্ঠ দশক আৰু তাৰ পাছৰ কালছোৱাত আন এটা প্ৰধান ঘটনা হৈছিল পশ্চিমীয়া উদ্যোগৰ অভ্যুদয়। ই পিটাৰ্চবাৰ্গৰ দাঁতি-কাষৰীয়া অঞ্চল আৰু মস্কোৰ দৰে কেইটামান অঞ্চলত মাথোন আৱদ্ধ আছিল আৰু মুঠতে ক'বলৈ হলে দেশখন সম্পূৰ্ণ কৃষি প্ৰধান হৈ আছিল। কিন্তু যিবিলাক কাৰখানা স্থাপন কৰা হৈছিল, সেইবিলাকত সেই কালৰ সকলোবিলাক উৎকৰ্ষতা আছিল আৰু সেইবিলাক সাধাৰণতে ইংৰাজে পৰিচালনা কৰিছিল। ইয়াৰ ফল দুটা হৈছিল। এইকেইটা উদ্যোগপ্ৰধান অঞ্চলত ৰুচ পুঁজিবাদৰ দ্ৰুত গতিৰে উন্নয়ন হৈছিল আৰু বনুৱা শ্ৰেণী এটাৰো একে সমান দ্ৰুত গতিৰে উন্নয়ন হৈছিল। বৃটেনত কাৰখানা চলোৱাৰ পদ্ধতিটোত প্ৰথম ভাগৰ কালছোৱাত হোৱাৰ দৰে ৰুচ বনুৱাবিলাককো ভয়ঙ্কৰভাৱে শোষণ কৰা হৈছিল আৰু প্ৰায় দিনে ৰাতিয়ে তেওঁলোকৰ হতুৱাই কাম কৰোৱা হৈছিল। কিন্তু এইটো পাৰ্থক্য আছিল: এই কালত নতুন ভাৱবিলাকৰ, সমাজবাদৰ আৰু আৰু সাম্যবাদৰ ভাৱবিলাকৰ উদ্ভৱ হৈছিল, ৰুচ বনুৱাবিলাকৰ মন প্ৰভাৱমুক্ত আৰু এইবিলাক ভাৱ গ্ৰহণৰ উপযোগী হৈ আছিল। বৃটিছ বনুৱাবিলাক দীঘলীয়া কালৰ পৰম্পৰাৰ মাজত উঠিছিল। সেই কাৰণে তেওঁলোক ৰক্ষণশীল হৈছিল আৰু পুৰণি ভাৱবিলাকত লাগি আছিল।

এই নতুন ভাৱবিলাকে গঢ় লবলৈ ধৰিছিল আৰু 'সমাজিক গণতান্ত্ৰিক বনুৱা দল' এটা সংগঠিত হৈছিল। ইয়াৰ মূলত মাৰ্ক্সৰ দৰ্শন আছিল। এই মাৰ্ক্সবাদীবিলাকে নিজক সন্ত্ৰাসবাদৰ বিৰোধী বুলি ঘোষণা কৰিছিল। কাৰ্ল মাৰ্ক্সৰ নীতি অনুসাৰে বনুৱা শ্ৰেণীটোক সক্ৰিয় কৰিবলৈ প্ৰেৰণা যোগাব লাগিছিল আৰু এনে সমূহীয়া কামৰ দ্বাৰাহে তেওঁলোকে নিজৰ লক্ষ্য সাধন কৰিব পাৰিছিল। সন্ত্ৰাসবাদৰ দ্বাৰাই ব্যক্তিৰ হত্যাই বনুৱা শ্ৰেণীক এনে সমূহীয়া কামলৈ উৎসাহিত নকৰিব, কাৰণ লক্ষ্য আছিল জাৰৰ শাসন-ব্যৱস্থাৰ অন্ত কৰা, জাৰ বা তেওঁৰ মন্ত্ৰীসকলক হত্যা কৰা লক্ষ্য নাছিল।

১৮৮০ খ্ৰীঃত এজন যুৱকে স্কুলৰ ছাত্ৰ হৈ থকা অৱস্থাতে বিপ্লৱী

কাৰ্যকলাপত অংশ গ্ৰহণ কৰিছিল, এই যুৱকজন পিছত লেনিন নামেৰে পৃথিৱীৰ সকলো ভাগতে জনাজাত হৈছিল। ১৮৮৭ খ্ৰীঃত বেতিয়া তেওঁৰ বয়স ১৭ বছৰ আছিল তেওঁ ভয়ঙ্কৰ বিপদৰ সন্মুখীন হব লগা হৈছিল। তেওঁৰ অতি মৰমৰ ককায়েক আলেকজেণ্ডাৰে জাৰক বধ কৰিবলৈ সন্ত্ৰাসবাদী চেষ্টা চলোৱাত অংশ গ্ৰহণ কৰা বাবে তেওঁক ফাচী দি বধ কৰা হৈছিল। সেই আঘাতৰ সত্বেও লেনিনে সেই সময়তো কৈছিল যে সন্ত্ৰাসবাদৰ পদ্ধতিৰে মুক্তিলাভ কৰিব পৰা নহব ; জনসাধৰণৰ সমূহীয়া কামৰ যোগেহে তাক লাভ কৰিব পৰা হব। আৰু এই যুৱকজনে কঠোৰভাৱে আৰু দৃঢ়প্ৰতিজ্ঞ হৈ স্কুলৰ লিখা-পঢ়া কৰি স্কুলৰ শেষ পৰীক্ষাটো দি অত যশস্যাৰে কৃতকাৰ্য হৈছিল। ইয়াৰ ৩০ বছৰৰ পিছত হোৱা বিপ্লৱটোৰ স্ৰষ্টিকৰ্তা আৰু নেতাজনৰ প্ৰকৃতি এনে আছিল।

মাৰ্ক্সে ভাবিছিল যে বনুৱা শ্ৰেণীৰ বি বিপ্লৱটো তেওঁ ভৱিষ্যতত হ'ব বুলি কৈছিল, সি জাৰ্মাণীৰ দৰে বিৰাট আৰু সংগঠিত বনুৱাৰ শ্ৰেণী থকা বৰ বেছিকৈ উদ্যোগীকৃত দেশ এখনত আৰম্ভ হ'ব। ৰুচিয়াৰ অনুন্নত অৱস্থা আৰু সন্ত্ৰাস-বাদৰ কাৰণে তেওঁ সেই দেশক ইয়াৰ কাৰণে অতি অনুপযুক্ত ঠাই বুলি বিবেচনা কৰিছিল। কিন্তু ৰুচিয়াত তেওঁ যুৱকবিলাকৰ মাজত বিশ্বাসী অনুচৰ পাইছিল, এই যুৱকবিলাকে তেওঁলোকৰ অসহ্য অৱস্থাৰ অন্ত পেলাবৰ কাৰণে তেওঁলোকক কি কৰা উচিত তাক জানিবৰ অৰ্থে অতি আগ্ৰহেৰে তেওঁৰ তথ্যাবিলাক অধ্যয়ন কৰিছিল। জাৰৰ ৰুচিয়াত তেওঁলোকৰ কাৰণে কোনো কাম মুকলিমূৰীয়াকৈ কৰাৰ নাইবা সাংবিধানিক পদ্ধতি চলোৱাৰ বাট নাছিল, সেই কথাটোৱেই তেওঁ-লোকক এনে অধ্যয়ন কৰি এই বিষয়ে তেওঁলোকৰ মাজত আলোচনা চলাবলৈ বাধ্য কৰিছিল। তেওঁলোকৰ বহুতক বন্দীশাললৈ বা চাইবেৰীয়ালৈ পঠিওৱা হৈছিল, নাইবা বিদেশলৈ নিৰ্বাসিত কৰা হৈছিল। তেওঁলোক য'লৈকে গৈছিল তাতে তেওঁলোকে মাৰ্ক্সবাদৰ অধ্যয়ন চলাই আছিল আৰু কৰ্তব্যৰ দিনৰ কাৰণে নিজক সাজু কৰিছিল।

১৯০৫ চনৰ বিফল ৰুচ বিপ্লৱ

১৭ মাৰ্চ, ১৯৩৩

১৯০৩ খ্ৰীঃত ৰুচিয়াৰ মাৰ্ক্সবাদীবিলাক— সামাজিক গণতান্ত্ৰিক দলটো এটা ঘোৰ সঙ্কটৰ সন্মুখীন হৈছিল, কিছুমান নীতি আৰু নিৰ্ধাৰিত আদৰ্শৰ ভেটিত প্ৰতিষ্ঠিত সকলোবিলাক দলে যেনেকৈ কোনো সময়ত এটা প্ৰশ্নৰ সন্মুখীন হৈ তাৰ উত্তৰ পাব লগা হয়, তেনেকৈয়ে সেই বছৰত তেওঁলোকেও এটা প্ৰশ্নৰ বিবেচনা কৰি তাৰ উত্তৰ পাব লগা হৈছিল। প্ৰকৃততে যিবিলাক পুৰুষ-মহিলাৰ এনেবিলাক নীতি আৰু বিশ্বাস থাকে, তেওঁলোক সকলোৰেই জীৱনত বহুতবাৰ এনে ঘোৰ সঙ্কটৰ সন্মুখীন হব লগা হয়। প্ৰশ্নটো আছিল এয়ে যে তেওঁলোকে তেওঁলোকৰ নীতিবিলাকত সম্পূৰ্ণ লাগি থাকি ৰনুৱাবিলাকৰ বিপ্লৱৰ কাৰণে সাজু হোৱা উচিত হবনে নাইবা তেওঁলোকে প্ৰচলিত অৱস্থাৰ লগত অলপ আপোচ মীমাংসা কৰি শেহান্তৰত বিপ্লৱৰ কাৰণে ক্ষেত্ৰ তৈয়াৰ কৰা কৰা উচিত হব। পশ্চিম ইয়ুৰোপৰ সকলোবিলাক দেশতে আগতে এই প্ৰশ্নটোৰ উত্তৰ হৈছিল আৰু প্ৰায় সকলোতে সমাজিক গণতান্ত্ৰিক দল বা আন তেনে দলবিলাক দুৰ্বল হৈছিল আৰু আভ্যন্তৰীণ সংঘৰ্ষ হৈছিল। জাৰ্মাণীত মাৰ্কবাদীসকলে পূৰাকৈ নীতিবিলাক মনাৰ সপেক্ষে অৰ্থাৎ বিপ্লৱী মতকে কাম্য বুলি ঘোষণা কৰিছিল কিন্তু পৰিণামত তেওঁলোকৰ উগ্ৰতা কমিছিল আৰু তেওঁলোকৰ মনোবৃত্তি বেছি নিৰ্জু হৈছিল। ফ্ৰান্সত বহুতো প্ৰধান সমাজবাদী তেওঁলোকৰ দল এৰি মন্ত্ৰীসভাৰ মন্ত্ৰী হৈছিল। ইটালী, বেলজিয়াম আৰু আন আন ঠাইতো তেনে হৈছিল। বৃটেনত মাৰ্ক্সবাদ দুৰ্বল আছিল, তাত সেই প্ৰশ্নটো নুঠিছিল। কিন্তু তাতো ৰনুৱাদলৰ এজন সদস্য মন্ত্ৰীসভাৰ মন্ত্ৰী হৈছিল।

ৰুচিয়াত সংসদী কামৰ সুযোগ নাছিল,সেই কাৰণে তাত অৱস্থা বেলেগ আছিল। তাত সংসদ নাছিল। তথাপি তাতো জাৰৰ কৰ্তৃত্বৰ বিৰুদ্ধে চলোৱা যি পদ্ধতিবিলাকক 'আইন বিৰুদ্ধ' বোলা হৈছিল, তেনেবিলাক পদ্ধতি এৰি দি অলপ দিনৰ কাৰণে শান্ত নীতিগত প্ৰচাৰকাৰ্য চলোৱাৰ সম্ভৱনা হৈছিল। কিন্তু বিষয়টোৰ সম্পৰ্কে লেনিনৰ স্পষ্ট আৰু নিৰ্ধাৰিত মত আছিল। তেওঁ সংগ্ৰাম কোমল কৰাৰ নাইবা আপোচ মীমাংসাৰ পক্ষপাতী নাছিল, কাৰণ তেওঁ ভয় কৰিছিল যে তেনেহলে সুবিধাবাদীবিলাকবে তেওঁলোকৰ দলটো ভৰি পৰিব। পশ্চিমীয়া

সমাজবাদী দলবিলাকে প্ৰয়োগ কৰা পদ্ধতিবিলাক তেওঁ আগতে দেখিছিল আৰু সেইবিলাক তেওঁৰ মনত নেলাগিছিল। আন এটা প্ৰসংগত তেওঁ পিছত লিখিছিল "পশ্চিমীয়া সমাজবাদীবিলাকে চলোৱা পদ্ধতিৰ কৌশলবিলাক অতুলনীয়-ভাৱে দুৰ্নীতিগ্ৰস্ত আছিল, সেইবিলাকে উচ্চ পদাভিলাষী আৰু বাৰ বিচৰা মানুহ থকা প্ৰত্যেকটো সমাজবাদী দলকে ক্ৰমে একোটা সৰু 'টামানি হল'লৈ পৰিৱৰ্তিত কৰিছিল।" ('টামানি হল' নিউয়ৰ্কত আছে। ই ৰাজনৈতিক দুৰ্নীতিৰ প্ৰতীক হৈছে)। কিমান মানুহ তেওঁৰ লগত আছিল তালৈ লেনিনে ভ্ৰূক্ষেপ নকৰিছিল, এসময়ত তেওঁ আনকি অকলে সংগ্ৰাম চলাব বুলি ভয় দেখুৱাইছিল, কিন্তু তেওঁ টানি ধৰিছিল যে যিবিলাক মানুহে উদ্দেশ্যটোত সম্পূৰ্ণ আত্মনিয়োগ কৰিছিল, যিবিলাকে উদ্দেশ্য সাধনৰ অৰ্থে সকলো দিবলৈ সাজু আছিল আৰু যিবিলাকৰ আনকি জনগণৰ প্ৰশংসা নেপালেও হৈছিল, তেনে মানুহকহে দলত লোৱা উচিত। তেওঁ বিপ্লৱত বিশেষজ্ঞ লোক কিছুমানৰ এনে এটা দল সংগঠিত কৰিবলৈ বিচাৰিছিল যি আন্দোলনটো যোগ্যতাৰে উন্নত কৰিব পাৰিব। মুঠেই সহানুভূতিশীল আৰু সুদিনৰ বন্ধুবিলাকৰ তেওঁৰ প্ৰয়োজন নাছিল।

প্ৰয়োগৰ কাৰণে ই এটা কঠিন পন্থা আছিল আৰু বহুতে ভাবিছিল যে ই সুবিবেচনাৰ পথ নাছিল। পিচে মুঠতে কৰবলৈ হলে লেনিনৰে জয় হৈছিল আৰু সামাজিক গণতান্ত্ৰিক দলটো দুভাগত বিভক্ত হৈছিল, তাৰপৰা 'বলচেভিকি' আৰু 'মেনচেভিকি'—এই নাম দুটাৰ উদ্ভৱ হৈছিল আৰু ইহঁত তেতিয়াৰপৰা প্ৰখ্যাত হৈ আছে। এতিয়া কিছুমানৰ কাৰণে 'বলচেভিক' শব্দটো ভয়ঙ্কৰ শব্দ, কিন্তু ইয়াৰ সম্পূৰ্ণ অৰ্থ সংখ্যা গৰিষ্ঠ। 'মেনচেভিক' অৰ্থ সংখ্যা লঘিষ্ঠ। ১৯০৩ খ্ৰীঃত বিভাজনৰ পাছত দলটোত লেনিনৰ উপ-দলটো সংখ্যাগৰিষ্ঠ হোৱাৰ কাৰণে ইয়াক বলচেভিক অৰ্থাৎ সংখ্যাগৰিষ্ঠ দল বোলা হৈছিল। লক্ষ্য কৰিলে কৌতূহল হোৱা কথা এই যে সেই কালত ২৪ বছৰীয়া যুৱক ট্ৰট্স্কি মেনচেভিকবিলাকৰ উপ-দলত আছিল, ১৯১৭ খ্ৰীঃৰ বিপ্লৱত এই ট্ৰট্স্কিয়েই লেনিনৰ শ্ৰেষ্ঠ সহকৰ্মী হৈছিল।

এই সকলোবিলাক আলোচনা আৰু তৰ্ক-বিতৰ্ক ৰুচিয়াৰপৰা বহু দূৰৈত লণ্ডনত হৈছিল। ৰুচবিলাকৰ দলীয় সভা এখন লণ্ডনত পাতিব লগা হৈছিল, কাৰণ জাৰৰ ৰুচিয়াত সেই সভা পতাৰ স্বাধীনতা নাছিল আৰু তাৰ সৰহ সংখ্যক সভ্য নিৰ্বাচিত লোক নাইবা চাইবেৰীয়াৰপৰা পলাই অহা অপৰাধী আছিল।

ইতিমধ্যে ৰুচিয়াতো অশান্তি থুপ খাইছিল। ৰাজনৈতিক ধৰ্মঘটে ইয়াৰ সূচনা কৰিছিল। বনুৱাৰ ৰাজনৈতিক ধৰ্মঘটৰ অৰ্থ বেছি মজুৰি আদি অৰ্থনৈতিক উপকাৰৰ কাৰণে ধৰ্মঘট নহয়, চৰকাৰৰ কোনো ৰাজনৈতিক কামৰ প্ৰতিবাদ কৰিবৰ কাৰণে কৰা ধৰ্মঘটহে। ই বনুৱাৰ কিছুপৰিমাণৰ ৰাজনৈতিক সচেতনৰ কথা বুজায়। এইদৰে গান্ধীজীক আটক কৰাৰ কাৰণে নাইবা অসাধাৰণ ৰকমৰ কিবা উৎপীড়ণ হোৱাৰ কাৰণে যদি কাৰখানাত কামকৰা বনুৱাবিলাকে ধৰ্মঘট কৰে, তেনেহলে সি ৰাজনৈতিক ধৰ্মঘট হয়। যথেষ্ট আচৰিত কথা যে পশ্চিম য়ুৰোপত শক্তিশালী বনুৱা সংঘ আৰু বনুৱাৰ সংগঠনবিলাক থকা সত্ত্বেও আজি এনে ধৰ্মঘট বিৰল আছিল। নাইবা বনুৱাৰ নেতাবিলাক তেওঁলোকৰ ন্যায় স্বাৰ্থৰ

কাৰণে নিৰ্ভুল হৈছিল কাৰণে সম্ভৱতঃ সেইবিলাক বিৰল আছিল। ৰুচিয়াত জাৰৰ শাসনৰ অবিৰত অত্যাচাৰে ৰাজনৈতিক দিশটো সদায় জাগত ৰাখিছিল। ১৯০৩ খ্ৰীঃত দক্ষিণ ৰুচিয়াত স্বতঃস্ফূৰ্তভাৱে বহুত ৰাজনৈতিক ধৰ্মঘট হৈছিল। আন্দোলনটো জনসাধাৰণৰ মনত বিৰাট পৰ্যায়ত হৈছিল, কিন্তু নেতাৰ অভাৱত ই ক্ৰমে ক্ৰমে লোপ পাইছিল।

তাৰ পিছৰ বছৰত প্ৰাচ্যত অশান্তি হৈছিল। আন এখন চিঠিত মই আগতে তোমাক উত্তৰ এচিয়াৰ বিৰাট 'ষ্টেপ'বিলাকৰ মাজেদি প্ৰশান্ত মহাসাগৰৰ ঠিক পাৰলৈকে নিৰ্মাণ কৰা চাইবেৰীয়াৰ দীঘল ৰেলপথটোৰ কথা, ১৮৯৪ খ্ৰীঃৰ পৰা আৰম্ভ কৰি জাপানৰ লগত হোৱা সংঘাতবিলাকৰ কথা আৰু ১৯০৪-৫ খ্ৰীঃত ৰুচিয়া আৰু জাপানৰ মাজত লগা যুদ্ধখনৰ কথা কৈছোঁ। আৰু মই তোমাক আগতে 'ৰঙা দেওবাৰ'ৰ- ১৯০৫ খ্ৰীঃৰ ২২ জানুৱাৰী দিনাৰ কথা কৈছোঁ, সেইদিনা ধৰ্মযাজক এজনৰ নেতৃত্বত 'সৰু পিতা' জনক ৰুটি ভিক্ষা দিবলৈ যোৱা শান্তি-পূৰ্ণ জনতাৰ সমাৰোহ এটাৰ ওপৰত জাৰৰ সৈন্যবিলাকে গুলী চলাইছিল। সমগ্ৰ দেশ জুৰি আতঙ্কৰ এটা শিহৰণ উঠিছিল, আৰু বহুতো ৰাজনৈতিক ধৰ্ম-ঘট হৈছিল। শেহান্তৰত সমগ্ৰ ৰাচিয়া ব্যাপি এটা সাধাৰণ ধৰ্মঘট হৈছিল। নতুন আহিৰ মাৰ্ক্সবাদী বিপ্লৱ আৰম্ভ হৈছিল।

ধৰ্মঘটকাৰী বনুৱাবিলাকে বিশেষকৈ পিটাৰ্চবাৰ্গ, মস্কো আদি ডাঙৰ কেন্দ্ৰ-বিলাকৰ প্ৰত্যেকতে 'চোভিয়েট' নামৰ নতুন সভা এটাৰ সৃষ্টি কৰিছিল। প্ৰথ-মতে ই সাধৰণ ধৰ্মঘট চলোৱা এখন সমিতি মাথোন আছিল। ট্ৰট্স্কি পিটাৰ্চ-বাৰ্গৰ চোভিয়েটটোৰ নেতা হৈছিল। জাৰৰ চৰকাৰ তেনেই বিপাৰত পৰিছিল আৰু সেই বিধান মতে সদন এখন আৰু গণতান্ত্ৰিক পদ্ধতিৰে ভোটৰ অধিকাৰৰ প্ৰতিশ্ৰুতি দিয়াত ই কিছু পৰিমাণে সেও হৈছিল। স্বেচ্ছাচাৰী শাসন অৰ বৃহৎ দুৰ্গটো ভাগি পৰিছিল যেন দেখা গৈছিল। অতীতত কৃষকৰ বিপ্লৱে যিটো কৰিব নোৱাৰিছিল, সন্ত্ৰাসবাদী বোমাৰে যিটো কৰাত কৃতকাৰ্য নহৈছিল, ধীৰপন্থী উদাৰনৈতিক সাংবিধানিকবিলাকে তেওঁলোকৰ সাৱধানী আবেদনেৰে যিটো কৰিব নোৱাৰিছিল, বনুৱাবিলাকে তেওঁলোকৰ সাধাৰণ ধৰ্মঘটৰদ্বাৰা তাকে কৰিছিল। জাৰৰ শাসনতন্ত্ৰৰ বুৰঞ্জীত প্ৰথমবাৰৰ কাৰণে ই জনসাধাৰণৰ ওচৰত সেও হব লাগিছিল। পিছত এই বিজয়টো মূল্যহীন বুলি প্ৰমাণিত হৈছিল। তথাপি ইয়াৰ স্মৃতি বনুৱাবিলাকৰ কাৰণে বাট দেখুৱা বন্তি হৈছিল।

জাৰে সংবিধানমতে সদন এখনৰ প্ৰতিশ্ৰুতি দিছিল, সেই সদনখন 'ডুমা' বোলা হৈছিল, 'ডুমা' অৰ্থাৎ চিন্তা কৰা ঠাই, 'পাৰ্লামেণ্টৰ' দৰে (ফৰাচী শব্দ 'পাৰ্লাৰ'ৰ পৰা অহা) ই কথা-বতৰা পতা বিশেষ ঠাই নহয়। এই প্ৰতিশ্ৰুতিৰে ধীৰপন্থী উদাৰনৈতিকবিলাকৰ খাউতি শাম কৰি তেওঁলোকক সন্তুষ্ট কৰিছিল। তেওঁলোক সদায় সহজতে সন্তুষ্ট হয়। জমিদাৰবিলাকে বিপ্লৱৰ কাৰণে ভয় খাই বেছি ধনী কৃষকবিলাকৰ উপকাৰ হোৱা কিছুমান সংস্কাৰত সন্মতি দিছিল। তাৰ পাছত জাৰৰ চৰকাৰ আচল বিপ্লৱীবিলাকৰ সন্মুখীন হৈছিল আৰু তেওঁলোকৰ দুৰ্বলতাবিলাক উপলব্ধি কৰি সেইবিলাকৰ সুযোগ লৈ তেওঁলোকৰ বিৰুদ্ধে কৌশল প্ৰয়োগ কৰিছিল। এফালে আছিল ভুকীয়া বনুৱাবিলাক, তেওঁলোক ৰাজনৈতিক

সংবিধানসভাক [illegible] আৰু বেছি মজুৰিৰ কাৰণে বেছি ব্যগ্ৰ আছিল আৰু আছিল বেছি দুখীয়া কৃষকবিলাক, তেওঁলোকে, 'মাটাক দিয়ক' এই বিপদীয়া ধ্বনিটো কৰিছিল, আনফালে আছিল, বিপ্লৱীবিলাক, তেওঁলোক ৰাজনৈতিক দিশটোত বেছি ব্যস্ত আছিল। পশ্চিম য়ুৰোপৰ চানেকীৰ সংসদ এখন পাবলৈ তেওঁলোকে আশা কৰিছিল আৰু জনসাধাৰণৰ প্ৰকৃত দাবী বা অনুভূতিৰ বিষয়ে বৰকৈ নেভাবিছিল। উচ্চ শ্ৰেণীৰ প্ৰশিক্ষিত বনুৱা—যিবিলাক বনুৱা সংঘত সংগঠিত আছিল তেওঁলোকে বহুতো বিপ্লৱত যোগ দিছিল, কাৰণ তেওঁলোকে ৰাজনৈতিক দিশটোৰ মোল বুজিছিল। কিন্তু চহৰ আৰু গাওঁবিলাকৰ জনসাধৰণ সাধাৰণতে বিবাগী আছিল। সেই অৱস্থাত জাৰৰ চৰকাৰ আৰু পুলিচে প্ৰাচীনত্বই সন্ন্যাসীৰ কৰা সম্পূৰ্ণ স্বেচ্ছাচাৰীতাৰ পদ্ধতি চলাই চাইছিল : তেওঁলোকে বিভাজনৰ সৃষ্টি কৰি এই ভুকীয়া জনসাধৰণক বিপ্লৱী উপদল কিছুমানৰ বিৰুদ্ধে উত্তেজিত কৰিছিল। ৰুচবিলাকে দুৰ্কপনীয়া ইহুদীবিলাকক সমূহীয়াকৈ হত্যা কৰিছিল, সেই দৰে তাৰ্তাৰবিলাকে আৰ্মেনিয়ানবিলাকক হত্যা কৰিছিল ; আনকি বিপ্লৱী ছাত্ৰ আৰু বেছি দুখীয়া বনুৱাবিলাকৰ মাজত সংঘাত হৈছিল। চৰকাৰে এই দৰে দেশৰ বিভিন্ন ঠাইত বিপ্লৱৰ যেকোনও ভাণ্ডি উগ্ৰ আন্দোলনৰ কেন্দ্ৰ দুটা পিটাৰ্চবাৰ্গ আৰু মস্কো আক্ৰমণ কৰিছিল। পিটাৰ্চবাৰ্গৰ চোভিয়েটখন সহজতে সম্পূৰ্ণে দমণ কৰা হৈছিল। মস্কোত সামৰিক বিভাগে বিপ্লৱীবিলাকক সহায় কৰিছিল আৰু তাৰ চোভিয়েটখন সম্পূৰ্ণ দমণ কৰাৰ আগত তাত ৫ দিন যেৰনেপেৰাকৈ যুদ্ধ হৈছিল। তাৰ পাছত প্ৰতিশোধ আৰম্ভ হৈছিল। প্ৰবাদ আছে যে মস্কোত চৰকাৰে এহেজাৰ মানুহক দোষ বিচাৰ নকৰাকৈ বধ কৰিছিল আৰু সত্তৰ হাজাৰ মানুহক বন্দী কৰা হৈছিল। বিভিন্ন বিদ্ৰোহৰ ফলত সমগ্ৰ দেশত প্ৰায় চৈধ্য হাজাৰ মানুহৰ মৃত্যু হৈছিল।

এইদৰে পৰাজয় আৰু বিপৰ্যয়ৰে ১৯০৫ খ্ৰী:ৰ বিপ্লৱৰ অন্ত পৰিছিল। ১৯১৭ খ্ৰী:ৰ যিটো বিপ্লৱ সফল হৈছিল, ইয়াক তাৰ সূচনা বোলা হয়। জনসাধাৰণৰ চেতনা উদ্বুদ্ধ কৰিব পৰাৰ আগতে আৰু তেওঁলোকে বৃহৎ পৰ্যায়ত কাম কৰিব পৰা হোৱাৰ আগতে "তেওঁলোকে ভাঙৰ ঘটনাবপৰা শিক্ষা লোৱা আৱশ্যক।" ১৯০৫ খ্ৰী:ৰ ঘটনাই তেওঁলোকৰ গভীৰ ক্ষতি কৰি তেওঁলোকক এই শিক্ষা দিছিল।

ডুমালৈ সদস্য নিৰ্বাচন কৰা হোৱাত ১৯০৬ খ্ৰী:ৰ মে' মাহত ই বহিছিল। ই অলপো বিপ্লৱী নাছিল, কিন্তু ই এনে উদাৰ আছিল যে জাৰে ইয়াক ভাল নাপাইছিল আৰু আঠে মাহৰ পাছত তেওঁ ইয়াক ভাণ্ডি দিলে। বিপ্লৱটো সম্পূৰ্ণ দমন কৰাৰ পাছত তেওঁ ডুমাৰ ধৰণৈ প্ৰায় ভ্ৰূক্ষেপ নকৰিছিল। ডুমাৰপৰা খেদা খোৱা সদস্যাবিলাক মধ্যবিত্ত শ্ৰেণীৰ উদাৰ সাংবিধানিক আছিল, তেওঁলোক ফিনলেণ্ডলৈ গৈছিল (পিটাৰ্চবাৰ্গৰ নিচেই ওচৰত আছিল আৰু সেই কালত জাৰৰ কৰ্তৃত্বৰ অধীনত আধা-আধি স্বাধীন দেশ আছিল) আৰু তেওঁলোকে ৰুচিয়াৰ মানুহবিলাকক ডুমাখন ভঙাৰ প্ৰতিবাদ স্বৰূপে কৰ দিবলৈ অমান্তি হবলৈ আৰু সৈন্যবাহিনীলৈ নতুনকৈ সৈন্য সংগ্ৰহত বাধা জন্মাবলৈ আবেদন কৰিছিল।

সদস্যবিলাকৰ জনসাধাৰণৰ লগত সম্পৰ্ক নাছিল। সেই কাৰণে তেওঁলোকৰ আবেদনত কোনেও গঁহাবি নিদিছিল।

পিচৰ বছৰত ১৯০৭ খ্ৰীঃত দ্বিতীয় ডুমা এখনলৈ সদস্য নিৰ্বাচিত কৰা হৈছিল। পুলিচে গণতান্ত্ৰিক প্ৰাৰ্থীবিলাকৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ অসুবিধাৰ সৃষ্টি কৰি আৰু কোনো কোনো সময়ত তেওঁলোকক ওপৰত আটক কৰাৰ সহজ কৌশলটো প্ৰয়োগ কৰি তেওঁলোক নিৰ্বাচিত হোৱাত বাধা দিবলৈ চেষ্টা কৰি-কৰিছিল। তথাপি ডুমাখন জাৰৰ মনোমত নহ'ল আৰু তিনি মাহৰ পিছতে তেওঁ সেইখন ভাঙি দিলে। ইয়াৰ পাচত জাৰৰ চৰকাৰে নিৰ্বাচনত আইন সলনি কৰি অবাঞ্ছনীয় মানুহ নিৰ্বাচিত হ'ব নোৱৰা কৰাৰ ব্যৱস্থা কৰিছিল। এই ব্যৱস্থা সফল হৈছিল, আৰু তৃতীয় ডুমাখন অতি সন্মানীয় আৰু ৰক্ষণশীল সভা আছিল আৰু ই দীৰ্ঘ কাল চলিছিল।

তুমি আচৰিত হ'বা যে জাৰে ১৯০৫ খ্ৰীঃৰ বিপ্লৱ সম্পূৰ্ণ দমন কৰাৰ পাছত তেওঁ ভালপোৱা মতে শাসন চলাই থাকিব লৈ যথেষ্ট শক্তিশালী হৈ থকাৰ কালত কিয় এই নিশকতীয়া ডুমাবিলাক ভাগৰ কষ্টখিনি লৈছিল। কাৰণটো আছিল ৰুচিয়াৰ কিছুমান সৰু উপদলক, যাইকৈ ধনী জমিদাৰ আৰু বণিজবিলাকক আংশিকভাৱে সন্তুষ্ট কৰি ৰখা। দেশখনৰ অৱস্থা বেয়া আছিল। অৱশ্যে জন-সাধাৰণক সম্পূৰ্ণ দমন কৰা হৈছিল, কিন্তু তেওঁলোক গোঙোৰা আৰু খঙাল হৈ আছিল। সেই কাৰণে আটাইতকৈ ওপৰ মহলত থকা ধনী মানুহখিনিকে অন্ততঃ হাতত ৰখা উচিত হ'ব বুলি বিবেচনা কৰা হৈছিল। কিন্তু তাতোকৈ বেছি প্ৰধান কাৰণ আছিল য়ুৰোপৰ দেশবিলাকৰ মনত লগোৱা যে জাৰ এজন উদাৰ ৰজা। পশ্চিম য়ুৰোপত জাৰৰ কুশাসন আৰু অত্যাচাৰ উপকথা ৰচনা হৈছিল। যেতিয়া প্ৰথম ডুমাখান ভাঙি দিয়া হৈছিল, তেতিয়া বৃটিছৰ উদাৰনৈতিক দলৰ নেতা এজনে নিম্ন সদনত ('হাউচ অব্ কমন্চ'ত) সম্ভৱতঃ এইবুলি কৈছিল 'ডুমাৰ মৃত্যু হৈছে। ডুমা দীৰ্ঘজীৱী হওক।' ইয়াৰপৰাই জনা যায় ডুমাৰ প্ৰতি কিমান সহানুভূতি আছিল। তদুপৰি জাৰক ধন লগা হৈছিল—বৰ বেছি পৰিমাণৰ ধন লগা হৈছিল। বিত্তব্যয়ী ফৰাচীবিলাকে তেওঁক আগৰেপৰা ধন ধাৰে দি আছিল; প্ৰকৃততে ফৰাচী ধাৰ এটাৰ সহায়েৰেই জাৰে ১৯০৫ খ্ৰীঃৰ বিপ্লৱ সম্পূৰ্ণ দমন কৰিছিল। গণবাদীয় ফ্ৰান্সেও গণতান্ত্ৰিকবিলাকক আৰু বিপ্লৱী-বিলাকক মৰিমূৰ কৰিবৰ অৰ্থে স্বেচ্ছাচাৰী ৰুচিয়াক সহায় কৰা কথাটোত এটা আচৰিত বৈষম্য আছিল। কিন্তু গণবাদীয় ফ্ৰান্সৰ অৰ্থ আছিল ফৰাচী বেঙ্ক চলোৱাসকল। যি কি নহওক, দেখুৱাই নিয়ম পালিব লগা হৈছিল আৰু ডুমাই ই বিষয়ত সহায় কৰিছিল।

ইতিমধ্যে য়ুৰোপৰ আৰু পৃথিৱীৰ অৱস্থা দ্ৰুত গতিৰে পৰিবৰ্তিত হৈছিল। জাপানে ৰুচিয়াক পৰাজিত কৰাৰ পাছত ইংৰাজে আগেয়ে ৰুচিয়ালৈ যেনেকৈ ভয় কৰি আছিল, তেনেকৈ ভয় নকৰা হৈছিল। যি উদ্যোগ আৰু সাগৰ ইমান দিন ইংলেণ্ডৰ আচুতীয়াকৈ সংৰক্ষিত বিষয় হৈ আছিল, সেই দুই বিষয়ত সেই দেশৰ নতুন এটা ভয়ৰ কাৰণ হৈছিল, সেই ভয়ৰ কাৰণ আছিল জাৰ্মাণী। জাৰ্মাণীলৈ

ভৱেই ফ্ৰাঞ্চকো ৰুচিয়াক ধাৰ দিয়াত ইমান উদাৰ কৰিছিল। জাৰ্মাণ ভাবুকি নাৰ পোৱা এই ভাবুকিতে দুটা পুৰণি পৰস্পৰ শত্ৰুটা-সাৱটি কৰিবলৈ বাধ্য হৈছিল। ১৯০৭ খ্ৰীঃত ইংলেণ্ড আৰু ৰুচিয়াৰ মাজত এটা সন্ধি কৰা হৈছিল, সেই সন্ধিয়ে আফগানিস্থান, পাৰস্য আৰু আন আন ঠাইত দুয়ো দেশৰ মাজত বিবিলাক ফন্দলৰ বিষয় অমীমাংসিত হৈ আছিল, সেই সকলোবিলাকক মীমাংসা কৰিছিল। পিছত ইংলেণ্ড, ফ্ৰান্স আৰু ৰুচিয়াৰ মাজত 'তিনি শক্তিৰ পৰস্পৰ মিলন' হৈছিল। বলকান অঞ্চলত অষ্ট্ৰিয়া ৰুচিয়াৰ প্ৰতিদ্বন্দ্বী আৰু জাৰ্মাণী মিত্ৰ আছিল আৰু কাগজে-পত্ৰে ইটালীও তেনে আছিল। সেই কাৰণে ইংলেণ্ড, ফ্ৰান্স আৰু ৰুচিয়াৰ 'তিনি শক্তিৰ পৰস্পৰ মিলন' জাৰ্মাণী, অষ্ট্ৰিয়া আৰু ইটালীৰ তিনি শক্তিৰ মিত্ৰতাৰ সন্মুখীন হৈছিল। সৈন্যবাহিনীবিলাক কাৰৰ কাৰণে সাজু হৈছিল আৰু জনসাধাৰণে তেওঁলোকৰ ভাগ্যত বিবিলাক ভীষণ বিপৰ্য্যয় আছিল তাৰ কথা নেজানি টোপনিয়াই আছিল।

১৯০৫ খ্ৰীঃৰ পাছৰপৰা এই বছৰ কেইটা ৰুচিয়াত প্ৰতিক্ৰিয়াৰ বছৰ আছিল। বলছেভিকবাদ আৰু আন বিপ্লৱী শক্তিবিলাক সম্পূৰ্ণ দমন কৰা হৈছিল। লেনিনৰ দৰে নিৰ্বাসিত বলছেভিক কিছুমানে বিদেশত কিতাপ আৰু পুস্তিকা লেখি, পৰিবৰ্ত্তিত অৱস্থাৰ লগত মাৰ্ক্সৰ মতবিলাক খাপ খুৱাবলৈ চেষ্টা কৰি ধৈৰ্যৰে কাম চলাই আছিল। মেনচেভিকবাদ (মাৰ্ক্সবাদীৰ বেছি নিৰ্জু সংখ্যালঘিষ্ঠ দলটো) আৰু বলচেভিকবাদৰ লগত মিলাৰ নোৱৰা পাৰ্থক্যটো বাঢ়িছিল। প্ৰতিক্ৰিয়াৰ এই বছৰ কেইটাত মেনছেভিকবাদ বেছি প্ৰধান হৈছিল। প্ৰকৃততে যদিও ইয়াক সংখ্যালঘিষ্ঠ দল বোলা হৈছিল, তথাপি সেইকালত ইয়াৰ পক্ষপাতী মানুহ বহুত বেছি আছিল। ১৯১২ খ্ৰীঃৰ পৰা আৰম্ভ কৰি ৰুচিয়াৰ সমাজ জীৱনত পুনৰ এটা পৰিবৰ্ত্তন ক্ৰমে সোমাইছিল। বিপ্লৱী কাৰ্য-কলাপ বাঢ়িছিল আৰু ইয়াৰ লগে লগে বলচেভিকবাদৰ সংবৰ্দ্ধন হৈছিল। ১৯১৪ খ্ৰীঃৰ মাজ ভাগৰ সময়ত বিপ্লৱৰ কথাৰে পেট্ৰোগ্ৰাডৰ আকাশ মুখৰিত হৈছিল আৰু ১৯০৫ খ্ৰীঃত হোৱাৰ দৰে বহুটো ৰাজনৈতিক ধৰ্মঘট হৈছিল। তথাপি পিছত ধৰা পেলোৱা হৈছিল যে পিটাৰ্চবাৰ্গৰ সাতজনীয়া বলছেভিক সমিতিটোত তিনিজন জাৰৰ গুপ্তচৰ বিভাগৰ মানুহ আছিল। বিপ্লৱবিলাক এনে সামগ্ৰীবৈই গঠিত হয়। ডুমাত বলচেভিকৰ সৰু উপদল এটা আছিল আৰু মালিনাওস্কি তাৰ নেতা আছিল। তেওঁকো পুলিচৰ হৈ কাম কৰা মানহ বুলি ধৰা পেলোৱা হৈছিল। আৰু লেনিনে তেওঁক বিশ্বাস কৰিছিল।

১৯১৪ খ্ৰীঃৰ আগষ্টত বিশ্বযুদ্ধখন আৰম্ভ হয়, ই হঠাৎ যুদ্ধক্ষেত্ৰলৈ মানুবিলাকৰ মন আকৃষ্ট কৰিলে, আৰু বাধ্যতামূলকভাৱে সৈন্যবাহিনীত মানুহ ভৰ্ত্তি কৰাৰ নিয়মটোৱে প্ৰধান কৰ্মীবিলাকক আঁতৰাই নিয়াত বিপ্লৱৰ আন্দোলনৰ অন্ত পৰিছিল। যুদ্ধৰ বিৰুদ্ধে মত প্ৰকাশ কৰা বলচেভিক অতি অল্পসংখ্যক আছিল আৰু তেওঁলোক অত্যন্ত অপ্ৰিয় হৈছিল।

আমি এতিয়া আমাৰ নিৰ্দিষ্ট ঠাই, বিশ্ব যুদ্ধখন পালোঁহি আৰু ইয়াতে আমি

বোলা উচিত হয়। কিন্তু এই চিঠিখন শেষ কৰাৰ আগতে ৰুচিয়াৰ কলা আৰু সাহিত্যলৈ তোমাৰ মন আকৃষ্ট কৰিবলৈ মই মন কৰোঁ। সৰহভাগ মানুহেই জানে যে জাৰৰ ৰুচিয়াই ইয়াৰ সকলোবিলাক দোষৰ সত্বেও বিস্ময়কৰ নৃত্যকলা চলাই থাকিব পাৰিছিল। উনবিংশ শতাব্দীত এই দেশত এলানি শ্ৰেষ্ঠ লিখকৰ উদ্ভৱ হৈছিল। তেওঁলোকে এটা শ্ৰেষ্ঠ সাহিত্যিক পৰম্পৰা প্ৰতিষ্ঠিত কৰিছিল। দীঘলীয়া উপন্যাস আৰু চুটি গল্প—এই দুয়ো ভাগতে তেওঁলোকে বিস্ময়কৰ কৃতিত্ব দেখুৱাইছিল। শতাব্দীটোৰ আৰম্ভণিত ৰুচি কৱিসকলৰ ভিতৰত শ্ৰেষ্ঠ বুলি গণ্য কৰা কবি পুছকিন জীৱিত আছিল। তেওঁ বাইৰণ, শেলী আৰু কিটছৰ সমসাময়িক আছিল। ঔপন্যাসিকসকলৰ ভিতৰত গগোল, টুৰ্গেনিভ, দস্তয়েভস্কি আৰু চেখভ উনবিংশ শতাব্দীৰ বিখ্যাত লেখক। তদুপৰি সম্ভৱতঃ সেই সকলোবিলাকৰ ভিতৰত শ্ৰেষ্ঠ আছিল লিও টলষ্টয়, তেওঁ অকল উপন্যাস লেখাতে অসাধাৰণ প্ৰতিভাশালী লোক নাছিল, ধাৰ্মিক আৰু আধ্যাত্মিক নেতাও হৈছিল আৰু তেওঁৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল। প্ৰকৃততে গান্ধীজী সেই কালত দক্ষিণ আফ্ৰিকাত থাকোঁতে তেওঁৰ ওপৰতো সেই প্ৰভাৱ পৰিছিলগৈ, দুয়ো ইজনে সিজনক শ্ৰদ্ধা কৰিছিল আৰু দুয়োৰে মাজত চিঠিৰ আদান-প্ৰদান হৈছিল। তেওঁ-লোকৰ মাজত একতাৰ বান্ধটো আছিল দুয়োৰে অপ্ৰতিৰোধ বা অহিংসাত দৃঢ় বিশ্বাস। টলষ্টয়ৰ মতে খ্ৰীষ্টৰো এয়ে মৌলিক উপদেশ আছিল আৰু গান্ধীজীয়েও হিন্দুৰ প্ৰাচীন লেখাবিলাকৰপৰা একে সিদ্ধান্তকে কৰিছিল। টলষ্টয় বৰং পৃথিৱীৰ পৰা বিচ্ছিন্ন হৈ নিজৰ বিশ্বাস মতে জীৱন চলাই ভৱিষ্যৎ বক্তা হৈ আছিল, কিন্তু গান্ধীজীয়ে দেখাত নীতিবাচক এই বিশ্বাসটো দক্ষিণ আফ্ৰিকাত আৰু ভাৰত-বৰ্ষত জনসাধাৰণৰ সমস্যাবিলাকত সক্ৰিয় ভাৱে প্ৰয়োগ কৰিছিল।

উনবিংশ শতাব্দীৰ শ্ৰেষ্ঠ ৰুচ লেখকসকলৰ এজন মেক্সিম গৰ্কি এতিয়াও জীৱিত আছে।*

---

* ১৯৩৬ খ্ৰীষ্টাব্দত গৰ্কিৰ মৃত্যু হয়।

১৪৫

অসাধাৰণ যুগ এটাৰ অৱসান

২২ মাৰ্চ, ১৯৩৩

উনবিংশ শতাব্দী। এই এশ বছৰে কিমান দীঘলীয়া সময় আমাক আবদ্ধ কৰিলে! চাৰি মাহ মই সময়ে সময়ে এই যুগটোৰ কথা তোমালৈ লেখি আছোঁ, এই বিষয়ত মোৰ অলপ আমনি লাগিছে আৰু তুমি যেতিয়া এই চিঠিবোৰ পঢ়িবা, তেতিয়া সম্ভৱতঃ তোমাৰো তেনে লাগিব। আৰম্ভণিতে মই তোমাক কৈছিলোঁ যে এইটো মনমোহা যুগ আছিল; কিন্তু মোহ লগা বস্তুত কিছু সময়ৰ পাছত আমনি লগা হয়। আচলতে আমি ১৯শ শতাব্দী ছেৰাই বিংশ শতাব্দীৰ ভিতৰলৈ আহিলোঁ। ১৯১৪ খ্ৰীঃৰ বছৰটোৱেই আমাৰ সীমা আছিল। সেই বছৰতে য়ুৰোপত আৰু পৃথিৱীত প্ৰচলিত কথাত কোৱাৰ দৰে যুদ্ধৰ কুকুৰবিলাকক বান্ধ খুলি দিয়া হৈছিল। সেই বছৰটো বুৰঞ্জীৰ এটা অতি গুৰুত্বপূৰ্ণ সন্ধটৰ কাল। ই এটা অসাধাৰণ যুগৰ শেষ আৰু আন তেনে এটা যুগৰ আৰম্ভণি।

উনৈশ শ চৈধ্য চন। এই বছৰটোও তোমাৰ জন্মৰ আগৰ, কিন্তু উনৈশ বছৰতকৈ কম পুৰণি; বুৰঞ্জীতো মানুহৰ জীৱনতে ই দীঘলীয়া কাল নহয়। কিন্তু এই বছৰটোত পৃথিৱীখন ইমান বেছিকৈ পৰিৱৰ্তিত হৈছে আৰু এতিয়াও হৈ আছে যে এই কালছোৱাত এটা যুগ পাৰ হৈছে যেন লাগে। আৰু ১৯১৪ খ্ৰীঃ আৰু তাৰ আগৰ বছৰ বিলাকত অতি পুৰণি কালৰ বুৰঞ্জীৰ লগলৈ উলটি গৈ সুদূৰ অতীতৰ সেই কালৰ ভাগ হৈছে, যি কালৰ কথা আমি কিতাপত পঢ়োঁ আৰু যি কাল আমাৰ দিনতকৈ ইমান বেলেগ। এই বিৰাট পৰিৱৰ্তনবিলাকৰ কথা অলপমান মই পিছত তোমাক কব লাগিব। এতিয়া মই তোমাক এটা কথাত সাৱধান হবলৈ আগতীয়াকৈ কওঁ। তুমি স্কুলত ভূগোল শিকিছা; ১৯১৪ খ্ৰীঃৰ আগৰ বছৰ বিলাকত মই স্কুলত থাকোঁতে ভূগোলৰ কথা যি শিকিছিলোঁ, সেই বিলাকতকৈ তুমি শিকা বিলাক বৰ বেলেগ। আৰু এনেও হব পাৰে যে তুমি এতিয়া যি ভূগোল শিকিছা, তাৰ বহুত খিনি বেছি দিন নৌ হওঁতেই তুমি পাহৰি পেলাব লাগিব, যেনেকৈ মযো পাহৰি পেলাব লাগিছিল। যুদ্ধৰ ধোঁৱাৰ মাজত পুৰণি সীমান্তবিলাক, পুৰণি দেশবিলাক নাইকিয়া হৈছিল আৰু মনত ৰাখিবলৈ টান নামৰ নতুন সীমান্ত আৰু নতুন দেশে সেইবিলাকৰ ঠাই লৈছিল; কেণ্ট

পিটাৰ্চবাৰ্গ পেট্ৰোগ্ৰাড হৈছিল, আৰু পাছত লেনিনগ্ৰাদ হৈছিল, কনষ্টান্টিনোপলক এতিয়া ইষ্টানবুল বুলিব লাগিব, পিকিং পেইনিং নামে জনাজাত হৈছে আৰু বোহেমিয়াৰ প্ৰেগ চেকোশ্লোভেকিয়াৰ প্ৰাহা হৈছে।

উনবিংশ শতাব্দীৰ বিষয়ৰ মোৰ চিঠিবিলাকত মই আৱশ্যক মতে দেশবিলাক আৰু দেশবিলাকৰ বিষয়ে বেলেগ বেলেগকৈ আলোচনা কৰিছোঁ। কিন্তু তোমাৰ অৱশ্যে মনত পৰিব যে এই সকলোবিলাক প্ৰায় একে সময়তে হৈছিল আৰু কুৰুক্ষেত্ৰীয়ে তাৰ হাজাৰ হাজাৰ ভৰিৰে একেলগে পৃথিৱীৰ সকলো ভাগতে তাৰ যাত্ৰা চলাইছিল। এই আচৰিত পাঁখনিটোৰ ভিতৰত বিজ্ঞান আৰু উদ্যোগ, ৰাজনীতি আৰু অৰ্থনীতি, প্ৰাচুৰ্য আৰু দাৰিদ্ৰ, পুঁজিবাদ আৰু সাম্ৰাজ্যবাদ, গণতন্ত্ৰ আৰু সমাজবাদ, ডাৰুইন আৰু মাৰ্ক্স, মুক্তি আৰু দাসত্ব, দুৰ্ভিক্ষ আৰু মহামাৰী, যুদ্ধ আৰু শান্তি, সভ্যতা আৰু অসভ্যতা—এই সকলোবিলাকৰ ঠাই আছিল; আৰু প্ৰত্যেকটোৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া আনটোৰ ওপৰত হৈছিল। সেই কাৰণে যেতিয়া এই যুগটোৰ নাইবা আন যেই-সেই যুগৰ চিত্ৰ এটা আমাৰ মনলৈ আনিব লগা হয়, তেতিয়া চিত্ৰটো নানা ৰঙী ছবি দেখুৱা পুতলা-যন্ত্ৰ এটা ছবিবিলাকৰ দৰে সানমিহলি হৈ থকা অনৱৰত গতি কৰি থকা আৰু পৰিবৰ্ত্তন হৈ থকা হয়, আৰু চিত্ৰটোৰ বহুত অংশৰ কথা ভাবিলে মনত আনন্দ পোৱা নেযায়।

আমি আগতে জানিব পাৰিছোঁ যে এই যুগৰ প্ৰধান বৈশিষ্ট্য আছিল শক্তিৰ সহায়েৰে বিৰাট পৰিমাণৰ উৎপাদনৰ দ্বাৰা অৰ্থাৎ পানী, বাষ্প বা বিজুলি-শক্তিৰ নিচিনা কোনো যান্ত্ৰিক শক্তিৰ সহায়েৰে উৎপাদনৰ দ্বাৰা পুঁজিবাদী শিল্পৰ বা উদ্যোগৰ সংবৰ্ধন (বিজুলি-শক্তি উৎপাদনৰ যন্ত্ৰ-পাতি বহুৱা ঠাইক আমি 'পাৱাৰ হাউচ' অৰ্থাৎ শক্তি উৎপাদনৰ নাম দিছোঁ)। পৃথিৱীৰ বিভিন্ন ভাগত ইয়াৰ বিভিন্ন পৰিণাম হৈছিল আৰু এই পৰিণামবিলাক প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো বিধৰে হৈছিল। যেনে লাকাছায়াৰত শক্তিৰে চলোৱা তাঁতশালত কাপোৰৰ উৎপাদনে ভাৰতবৰ্ষৰ সুদূৰ গাওঁবিলাকৰ অৱস্থা ওলট-পালট কৰি সেইবিলাকত বহুতো ব্যৱসায় নাশ কৰিছিল। পুঁজিবাদী শ্ৰমশিল্প গতিশীল আছিল, ইয়াৰ প্ৰকৃতি অনুসাৰে ই ক্ৰমে বেছি বৃহৎ হৈছিল আৰু ইয়াৰ ভোক কেতিয়াও নুগুচি-ছিল। ইয়াৰ বৈশিষ্ট আছিল লাভ কৰাৰ প্ৰবৃত্তি; ই সদায় লাভ কৰি ভোগ কৰি থাকি আকৌ লাভ কৰাত লাগিছিল। ব্যক্তিয়ে যেনে কৰিবলৈ চেষ্টা কৰিছিল, সেইদৰে জাতিবিলাকেও চেষ্টা কৰিছিল। সেই কাৰণে এই পদ্ধতিত নিৰ্মাণ সমাজৰ সংবৰ্ধন হৈছিল, তাক লাভেচ্ছুক সমাজ বোলা হয়। সদায় লক্ষ্য আছিল বেছি বেছিকৈ উৎপাদন কৰা আৰু এইদৰে উৎপাদিত সম্পত্তিৰ পৰা বাহি হোৱা সম্পত্তিখিনি বেছি কাৰখানা আৰু ৰেলপথত আৰু আন তেনে কাৰবাৰত লগোৱা আৰু অৱশ্যে সেইবিলাকৰ মালিকবিলাকক ধনী কৰা। এই উদ্দেশ্য অনুকৰণ কৰোঁতে আন সকলোবিলাক নষ্ট কৰা হৈছিল। যিবিলাক শ্ৰমিকে উদ্যোগত সম্পত্তি উৎপাদন কৰিছিল, তেওঁলোকৰ ইয়াৰ পৰা অতি কম উপকাৰ হৈছিল আৰু তেওঁলোকৰ অৱস্থা অলপমান উন্নত কৰাৰ আগলৈকে তেওঁলোকে আৰু তিৰোতা

মানুহ আৰু ল'ৰাছোৱালীবিলাকেও অতি ভয়ঙ্কৰ এটা কাল অতিবাহিত কৰিব লাগিছিল। এই পুঁজিবাদী উদ্যোগৰ উপকাৰৰ অৰ্থে আৰু যিবিলাক জাতিৰ এনে উদ্যোগ আছিল, সেইবিলাকৰ উপকাৰৰ অৰ্থে উপনিৱেশবিলাকক আৰু অধীনস্থ ৰাজ্যবিলাকক ধ্বংস কৰি শোষণ কৰা হৈছিল।

এইদৰে পুঁজিবাদ অবিবেচনাৰে আৰু নিৰ্মমভাৱে আগুৱাই গ'ল ; ই ইয়াৰ বাটত বহুতক ধ্বংস কৰি পেলাই থৈ গৈছিল। তথাপি, ইয়াৰ যাত্ৰা জয়যুক্ত হৈছিল। বিজ্ঞানৰ সহায়ত ই বহুত বিষয়ত কৃতকাৰ্য হৈছিল আৰু এই কৃত-কাৰ্য্যতাই পৃথিৱীক চমক খুৱাইছিল। ই যিবিলাক দুখ-কষ্টৰ সৃষ্টি কৰিছিল তাৰ বহুতখিনিৰ ক্ষতি পূৰণ কৰা যেন দেখা গৈছিল। ঘটনাক্ৰমে আৰু জানি শুনি সেইবিলাকৰ বিষয়ে ব্যৱস্থা নকৰাকৈয়ে ই জীৱনৰ বহুতো ভাল বস্তুবো সৃষ্টি কৰিছিল। কিন্তু চিকমিকীয়া উপৰি ভাগৰ তলত আৰু ভাল-খিনিৰ তলত অপৰ্যাপ্ত বেয়া আছিল। প্ৰকৃততে ইয়াৰ সম্পৰ্কত আটাইতকৈ বেছি অসাধাৰণ কথা আছিল ই সৃষ্টি কৰা বৈষম্যবিলাক সিমানে বেছি হৈছিল : অপৰিমিত দাৰিদ্ৰ আৰু অপৰিমিত সম্পত্তি আৰু লেতেৰা বস্তি অঞ্চলত বসতি আকাশ লংঘ অট্টালিকা ; সাম্ৰাজ্য থকা ৰাষ্ট্ৰ, পৰাধীন শোষিত উপনিৱেশ। য়ুৰোপ আছিল কতৃত্ব চলোৱা মহাদেশ, এচিয়া আৰু আফ্ৰিকা আছিল শোষিত মহাদেশ। শতাব্দীটোৰ সৰহভাগ কাল আমেৰিকা পৃথিৱীৰ ঘটনা প্ৰবাহৰ পৰা আঁতৰি আছিল, কিন্তু ই দ্ৰুতগতিৰে আগবাঢ়ি গৈ ধন অৰ্জাৰ বিৰাট উপায় সংগঠিত কৰিছিল। য়ুৰোপত ইংলেণ্ড পুঁজিবাদৰ আৰু বিশেষকৈ সাম্ৰাজ্য স্থাপন বিষয়ত সম্পন্নশালী, গৰ্বী আৰু আত্ম-তুষ্ট নেতা আছিল।,

পুঁজিবাদী উদ্যোগৰ যাত্ৰা আৰু ইয়াৰ গ্ৰাস কৰাৰ প্ৰবৃত্তিয়েও ঘটনাবিলাক চূড়ান্ত অৱস্থালৈ নিছিল, সেইবিলাকে বিৰোধিতা আৰু সমূহীয়া উত্তেজনাৰ সৃষ্টি কৰিছিল আৰু শেহান্তৰত সেইবিলাকৰ পৰাই শ্ৰমিকবিলাকক আশ্ৰয় দিবৰ অৰ্থে কিছুমান নিয়ন্ত্ৰণৰ সৃষ্টি হৈছিল। কাৰখানা চলোৱা পদ্ধতিৰ প্ৰথম অৱস্থাৰ কালত শ্ৰমিকবিলাকক, বিশেষকৈ তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীবিলাকক বেছিকৈ কামত লগোৱা হৈছিল, কাৰণ তেওঁলোক বেছি সস্তা আছিল আৰু তেওঁলোকক অতি অস্বাস্থ্যকৰ আৰু ঘৃণনীয় অৱস্থাত কোনো সময়ত দিনে ওঠৰ ঘণ্টাকৈ কামত লগাই ৰখা হৈছিল। অৱশেষত চৰকাৰে হস্তক্ষেপ কৰি কাৰখানা আইন বোলা কিছুমান আইন কৰি কাম কৰা ঘণ্টাৰ হাৰ নিৰ্ধাৰিত কৰিছিল আৰু কাম কৰাৰ অৱস্থা উন্নত কৰিবলৈ আইন খটুৱাইছিল। এই আইনবিলাকে তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীবিলাকৰ স্বাৰ্থ বিশেষকৈ ৰক্ষা কৰিছিল। কিন্তু কাৰখানাৰ গৰাকীবিলাকৰ প্ৰবল বিৰোধিতাৰ বিৰুদ্ধে দীঘলীয়া কাল সংগ্ৰাম চলোৱাৰ পাছতহে এই আইনবিলাক গৃহীত কৰিব পৰা হৈছিল।

তদুপৰি পুঁজিবাদী শ্ৰমশিল্পৰ পৰাই সমাজবাদী আৰু সাম্যবাদী ভাববিলাকৰ উদ্ভৱ হৈছিল। এই ভাববিলাকে নতুন শ্ৰমশিল্পক গ্ৰহণ কৰিছিল, কিন্তু পুঁজি-বাদৰ ভিত্তিৰ বিৰোধিতা কৰিছিল। শ্ৰমিকৰ সংগঠন, শ্ৰমিক সংঘ আৰু আন্ত-ৰ্জাতিক শ্ৰমিক মিলনবো উন্নয়ন হৈছিল।

পুঁজিবাদৰপৰা সাম্ৰাজ্যবাদ হৈছিল আৰু প্ৰাচ্যৰ দেশবিলাকৰ বহুকাল স্থায়ী অৰ্থনৈতিক অৱস্থাৰ ওপৰত পৰা পশ্চিমীয়া পুঁজিবাদী শ্ৰমশিল্পৰ খুন্দাই সেইবিলাক দেশৰ ধ্বংস সাধিছিল। কালক্ৰমে প্ৰাচ্যৰ এই দেশবিলাকেতো পুঁজিবাদী শ্ৰমশিল্পৰ পৰিবৰ্ত্তন হৈ তাৰ সংবৰ্ধন হবলৈ ধৰিছিল। পাশ্চাত্যৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে প্ৰত্যাহ্বানস্বৰূপে জাতীয়তাবাদৰো সংবৰ্ধন হৈছিল।

এইদৰে পুঁজিবাদে পৃথিৱীখন বিচলিত কৰিছিল আৰু ই মানুহ জাতিৰ মাজত ভয়ঙ্কৰ দুখ-কষ্টৰ সৃষ্টি কৰা সত্বেও মুঠতে কবলৈ হলে ই উপকাৰী প্ৰচেষ্টা আছিল, অন্ততঃ পশ্চিম য়ুৰোপত তেনে আছিল। ইয়াৰ প্ৰচলনৰ লগে লগে ই বৰ বেছিকৈ ভৌতিক উদগতি সাধিছিল আৰু মানৱজাতিৰ কল্যাণৰ মান অতি বেছিকৈ উন্নত কৰিছিল। সাধাৰণ মানুহবিলাক পূৰ্বে যেই কোনো কালত যিমান প্ৰধান আছিল, তাতকৈ বহুত গুণে বেছি প্ৰধান হৈছিল। তেওঁলোকৰ ভুৱা দিয়া ভোটটো থকা সত্বেও স্বৰূপাৰ্থত কোনো বিষয়তে তেওঁলোকৰ বেছি মাত নাছিল, কিন্তু নিয়মতে ৰাষ্ট্ৰত তেওঁলোকৰ মৰ্যাদা বাঢ়িছিল আৰু লগে লগে তেওঁলোকৰ অসন্মানৰ ভাবো বাঢ়িছিল। পশ্চিমীয়া যিবিলাক দেশত পুঁজিবাদী উদ্যোগ সুপ্ৰতিষ্ঠিত হৈছিল, সেইবিলাক দেশতহে অৱশ্যে এই কথা প্ৰযোজ্য। বিৰাট পৰিমাণৰ জ্ঞান গোট খাইছিল আৰু বিজ্ঞানে বিস্ময়কৰ কাম কৰিছিল আৰু হাজাৰ হাজাৰ প্ৰকাৰে ইয়াক জীৱনত লগাই সকলোৰে কাৰণে জীৱন চলোৱা বেচি সহজ কৰা হৈছিল। বিশেষকৈ ৰোগ নিবাৰণ কৰা কালত আৰু স্বাস্থ্য-বিজ্ঞানে যিবিলাক ৰোগ আগেয়ে মানুহৰ অভিশাপ স্বৰূপ হৈ আছিল তেনে বহুত ৰোগ দমণ আৰু নিৰ্মূল কৰিবলৈ ধৰিছিল। এটা উদাহৰণ উল্লেখ কৰেঁ। মেলেৰিয়াৰ উৎপত্তি আৰু নিবাৰণৰ উপায় আৱিষ্কাৰ কৰা হয় আৰু আৱশ্যকীয় ব্যৱস্থা ললে কোনো এটা অঞ্চলৰপৰা ৰোগ যে নিৰ্মূল কৰিব পাৰি সেই বিষয়ে সন্দেহ এতিয়া নাই। ভাৰতবৰ্ষত যে এতিয়াও মেলেৰিয়া হৈ আছে আৰু লাখ লাখ মানুহ যে ইয়াৰ বলি হৈ আছে, তাৰ বাবে বিজ্ঞান দায়ী নহয়, দায়িত্বহীন চৰকাৰ আৰু অজ্ঞ জনসাধাৰণহে দায়ী।

সম্ভৱতঃ শতাব্দীটোৰ আটাইতকৈ বেছি বিস্ময়কৰ বৈশিষ্ট্য আছিল পৰিবহণ আৰু সংযোগ সাধনৰ পদ্ধতিৰ উদগতি। ৰেলপথ, বাষ্পীয় জাহাজ, বিজুলী-ডাক, আৰু মটৰ গাড়ীয়ে পৃথিৱীখন সম্পূৰ্ণ পৰিবৰ্তিত কৰিলে আৰু মানৱীয় উদ্দেশ্য সাধনৰ অৰ্থে পৃথিৱীখন আগেয়ে সকলোপ্ৰকাৰে যেনে আছিল তাতকৈ ইয়াক বিৰাট পৰিমাণে বেলেগ কৰিলে। পৃথিৱীখন চাপ খাই গ'ল আৰু ইয়াৰ অধিবাসীবিলাকে পৰস্পৰ বেছি ওচৰা-উচৰি হ'ল। এজনে আনজনৰ বিষয়ে বহুত বেছিকৈ বুজিব পৰা হৈছিল আৰু উবৈহতীয় জ্ঞানৰ বলত অজ্ঞতাৰ কাৰণে সৃষ্টি হোৱা বহুত প্ৰতিবন্ধকতা নাইকিয়া হৈছিল। উবৈহতীয়া ভাব বিস্তৃত হবলৈ ধৰিছিল, তাৰপৰা পৃথিৱীৰ সকলো ভাগতে কিছুপৰিমাণে একাকাৰ ভাব হৈছিল। যি যুগটোৰ কথা আমি আলোচনা কৰিছোঁ, তাৰ ঠিক অন্তত বেতাৰ বিজুলী-ডাক আৰু বিমানৰ প্ৰচলন হৈছিল। সেইবিলাক এতিয়া যথেষ্টৰূপে সাধাৰণ হৈছে

আৰু তুমি এই বিষয়ে বেছিকৈ সভবাকৈ বহুতবাৰ বিমানত উঠি ভ্ৰমণ কৰিছা। বেঁতাৰ, বিজুলী-ডাক আৰু বিমানৰ উন্নয়ণ বিংশ শতাব্দীত আৰু আমাৰ নিজৰ দিনত হৈছে। পূৰ্বে মানুহে 'বেলুনত'সমনে আকাশত উঠিছিল, কিন্তু প্ৰাচীন কালৰ পৌৰাণিক উপখ্যান আৰু গল্পৰ বাহিৰে 'আৰবৰ ৰাতিবিলাক' নামৰ গল্পৰ কিতাপত থকা উৰি যোৱা দলিচা আৰু আমাৰ ভাৰতীয় পৌৰাণিক উপাখ্যানৰ 'উৰণ খাটোলা'ৰ বাহিৰে কোনেও পূৰ্বে বতাহতকৈ বেছি গধুৰ কিবা এটাৰ ওপৰত উঠি আকাশলৈ উঠা নাছিল। যি দুজন প্ৰথমতে বতাহতকৈ বেছি গধুৰ যন্ত্ৰত উঠি আকাশলৈ উঠাত কৃতকাৰ্য হৈছিল তেওঁলোক উইলবাৰ ৰাইট আৰু আভিল ৰাইট নামে আমেৰিকান ভাই-ককাই আছিল। তেওঁলোকেই বৰ্ত-মান কালৰ বিমানৰ জন্মদাতা। ১৯০৩ খ্ৰীঃৰ ডিচেম্বৰ মাহত তেওঁলোক তিনিশ গজতকৈও কম উৰিছিল, কিন্তু তেওঁলোকে কোনোৱে নকৰা কাম এটা কৰিছিল। তাৰ পাছত উৰা বিষয়ত নেৰানেপেৰাকৈ উদগতি হৈছিল আৰু ১৯০৯ খ্ৰীঃত যেতিয়া ফৰাচী মানুহ ব্লেৰিয়ট ফ্ৰান্সৰপৰা ইংলণ্ডলৈ ইংলিছ প্ৰণালীৰ ওপৰেদি উৰি গৈছিল, তেতিয়া যি উত্তেজনাৰ সৃষ্টি হৈছিল, তাৰ কথা মোৰ মনত আছে। ইয়াৰ অলপদিনৰ পাছতে মই পেৰিচৰ এইফেল গম্বুজৰ ওপৰেদি উৰা প্ৰথম বিমান-খন দেখিছিলোঁ। তাৰ বহুত বছৰৰ পাচত ১৯২৭ খ্ৰীঃৰ মেই মাহত যেতিয়া চাৰ্লচ লিণ্ডবাৰ্গ আটলাণ্টিক মহাসাগৰৰ ওপৰেদি ৰূপালী কাঁড় এডালৰ দৰে চিক্‌মিকাই উৰি আহি পেৰিচৰ বিমানঘাটি লা-বুৰ্গেত নামিছিল, তেতিয়া তুমি আৰু মই পেৰিচত উপস্থিত আছিলোঁ।

এই সকলোবিলাক পুঁজিবাদী উদ্যোগৰ আধিপত্য থকা সেই কালছোৱাৰ জমাৰ ভাগত পৰে। এই শতাব্দীত নিশ্চয়কৈ মানুহে বিস্ময়কৰ কাম কৰিছিল। জমাৰ ভাগত আৰু এটা কথা পৰে। খকুৱা আৰু সৰ্বগ্ৰাসী পুঁজিবাদৰ সংবৰ্ধনৰ লগে লগে সমবায় আন্দোলনেৰে ইয়াক একপ্ৰকাৰে সংযত কৰাৰ ব্যৱস্থা কৰা হৈছিল। ই বহুত মানুহৰ একোটা গোট আছিল, সেই গোটে উমৈহতীয়াকৈ বস্তু বেচা-কিনা কৰি তাৰপৰা হোৱা লাভখিনি তেওঁলোকে নিজৰ ভিতৰত ভগাই লৈছিল সাধাৰণ পুঁজিবাদী পদ্ধতিটো প্ৰতিযোগিতামূলক আছিল, ই নিজৰ স্বাৰ্থৰ কাৰণেই সাংঘাটিক পদ্ধতি আছিল। এই পদ্ধতিত প্ৰত্যেকে আনতকৈ বেছি সুযোগ আদায় কৰিবলৈ চেষ্টা কৰিছিল; সমবায়ৰ পদ্ধতিৰ মূলত আছিল পৰস্পৰ সহযোগিতা। তুমি বহুতো সমবায় দোকান নিশ্চয় দেখিছা। ১৯শ শতাব্দীত ইয়োৰোপত সমবায় আন্দোলনটোৰ বৰকৈ সংবৰ্ধন হৈছিল। সম্ভৱতঃ সৰু দেশ ডেনমাৰ্কতে ই আটাইতকৈ বেছি কৃতকাৰ্য হৈছিল।

ৰাজনীতিৰ কালত গণতান্ত্ৰিক ভাববিলাকৰ সংবৰ্ধন হৈছিল আৰু বেছিকৈ মানুহে তেওঁলোকৰ পাৰ্লামেণ্ট আৰু সদনলৈ ভোট দিয়াৰ অধিকাৰ পাইছিল। কিন্তু ভোট দিয়াৰ এই অধিকাৰটো পুৰুষৰ ভিতৰতে আবদ্ধ আছিল, তিৰোতা মানুহ আন প্ৰকাৰে যিমানেই যোগ্য হওক, তেওঁলোকক এই অধিকাৰটো পাবৰ কাৰণে যথেষ্ট ভাল বা জ্ঞানী বুলি বিবেচনা কৰা নহৈছিল। বহুতো নাৰীয়ে এই কাৰণে বিৰক্তি প্ৰকাশ কৰিছিল আৰু বিংশ শতাব্দীৰ আৰম্ভণিৰ বছৰকেইটাত

ইংলেণ্ডত নাৰীবিলাকে ডাঙৰ এটা আন্দোলন সংগঠিত কৰিছিল। ইয়াক নাৰীৰ ভোটাধিকাৰৰ আন্দোলন বোলা হৈছিল আৰু পুৰুষবিলাকে ইয়াত মূল্য নিদি ইয়ালৈ প্ৰায় আওকাণ কৰিছিল। সেই কাৰণে ভোটাধিকাৰৰ দাবী কৰা নাৰী-বিলাকে পুৰুষবিলাকক এই আন্দোলনত মন লগাবলৈ বাধ্য কৰিবৰ অৰ্থে বল প্ৰয়োগ কৰাৰ পদ্ধতি আন কি হিংসামূলক পদ্ধতিও চলাইছিল। তেওঁলোকে পাৰ্লামেণ্টত উশৃঙ্খল আচৰেণেৰে হুলস্থূল সৃষ্টি কৰি তাৰ কাম বন্ধ কৰিছিল আৰু মন্ত্ৰীসভাৰ মন্ত্ৰীসকলক শাৰীৰিক ভাৱে আক্ৰমণ কৰিছিল, সেই কাৰণে মন্ত্ৰীসকল অনবৰত পুলিচৰ আশ্ৰয়ত থাকিব লগা হৈছিল। সংগঠিত হিংসা-কাৰ্য ব্যাপক-ভাৱে চলোৱা হৈছিল আৰু বহুত নাৰীক কাটেকত দিয়া হৈছিল, তাত তেওঁ-লোকে অনশন ব্ৰত আৰম্ভ কৰিছিল। তেতিয়া তেওঁলোকে কাটেকৰ পৰা মুক্তি দিয়া হৈছিল আৰু সুস্থ হোৱা মাত্ৰকে পুনৰ কাটেকত ৰখা হৈছিল। পাৰ্লামেণ্ট এনে কৰিবলৈ অনুমতি দি এটা বিশেষ আইন কৰিছিল আৰু এই আইনটোক জনসাধাৰণে 'মেকুৰী আৰু নিগনী' আইন বুলিছিল। ভোটাধিকাৰৰ দাবী কৰা নাৰীসকলৰ এই পদ্ধতিবিলাকে নিশ্চয়কৈ মানুহৰ মন ব্যাপকভাৱে আকৃষ্ট কৰাত কৃতকাৰ্য্য হৈছিল। কেইবছৰমানৰ পাছত বিশ্বযুদ্ধখন আৰম্ভ হোৱাত নাৰীৰ ভোটাধিকাৰ স্বীকাৰ কৰা হৈছিল।

নাৰীৰ আন্দোলনটো নাইবা মানুহে সঘনে কোৱাৰ দৰে 'ফেমিনিষ্ট' (নাৰী সম্পৰ্কীয়) আন্দোলনটো ভোট খোজাতে আবদ্ধ নাছিল। সকলো বিষয়ত পুৰুষৰ লগত সমতাৰ দাবী কৰা হৈছিল। অলপ দিনৰ আগলৈকে পশ্চিম য়ুৰোপত নাৰীৰ সামাজিক অৱস্থা বৰ বেয়া আছিল। তেওঁলোকৰ প্ৰায় একো অধিকাৰ নাছিল। আইনমতে ইংৰাজ নাৰী সম্পত্তিৰ গৰাকীও হব নোৱাৰিছিল, তেওঁৰ ভাগৰ সম্পত্তি, আন কি তেওঁৰ নিজৰ আৰ্জনো তেওঁৰ স্বামীয়ে লৈছিল। এইদৰে আইন মতে তেওঁলোক বৰ্ত্তমান কালত হিন্দু আইন মতে যথেষ্ট বেয়া অৱস্থাত থকা নাৰীবিলাকতকৈও বেছি বেয়া অৱস্থাত আছিল। প্ৰকৃততে ভাৰতীয় নাৰী এতিয়া যেনেকৈ অসংখ্য প্ৰকাৰে পৰাধীন জাতি, পশ্চিম য়ুৰোপৰ নাৰীও পৰাধীন জাতি আছিল। ভোটৰ কাৰণে আন্দোলন চলোৱাৰ কালৰ পূৰ্বে নাৰীয়ে আন আন বিষয়ত পুৰুষৰ লৈতে সমানে আচৰণৰ দাবী কৰিছিল। অৱশেষত অষ্টম দশকত তেওঁলোকক সম্পত্তিৰ গৰাকী হোৱা সম্পৰ্কৰ কিছুমান অধিকাৰ দিয়া হৈছিল। এই বিষয়ত নাৰীৰ কৃতকাৰ্যতাৰ আংশিক কাৰণ আছিল এই যে কাৰখানাৰ মালিকবিলাক ইয়াৰ পক্ষপাতী আছিল। তেওঁলোকে ভাবিছিল যে নাৰীয়ে তেওঁলোকৰ আৰ্জন ৰাখিব পাৰিলে এইটোৱে তেওঁলোকক কাৰখানাত কাম কৰিবলৈ উদগনি দিব।

সকলো ফালে বিৰাট পৰিবৰ্ত্তন আহি লক্ষ্য কৰোঁ, কিন্তু চৰকাৰবিলাকৰ আচৰণত তেনে পৰিবৰ্ত্তন হোৱা নাছিল। ষড়যন্ত্ৰ আৰু প্ৰৱঞ্চনাৰ যি পদ্ধতিবিলাক বহুকালৰ পূৰ্বে ফ্লাৰেন্সৰ মেকিয়াভেলিয়ে আৰু তেওঁৰ ১৮০০ বছৰ পূৰ্বে ভাৰ-তীয় মন্ত্ৰী চাণক্যই অনুমোদন কৰিছিল, বৃহৎ শক্তি কেইটাই সেইবিলাক পদ্ধতিকে চলাই আছিল। তেওঁলোকৰ মাজত অবিৰত প্ৰতিদ্বন্দ্বিতা, গুপ্ত সন্ধি আৰু মিত্ৰতা

হৈছিল আৰু প্ৰত্যেকটো শক্তিয়ে আনটোক ঠেকত পেলাই ছেৰ পেলাবলৈ চেষ্টা কৰিছিল। আমি ইতিমধ্যে দেখিলোঁ যে য়ুৰোপ সক্ৰিয় আৰু আক্ৰমণাত্মক ভূমিকা লৈছিল আৰু এচিয়াই নিষ্ক্ৰিয় ভূমিকা লৈছিল। পৃথিৱীৰ ৰাজনীতিত আমেৰিকাৰ অৱদান আপেক্ষিকভাৱে কম আছিল, কাৰণ সেই অঞ্চল নিজৰ কামতে ব্যস্ত থাকিব লগা হৈছিল।

জাতীয়তাবাদৰ সংবৰ্ধনৰ লগে লগে 'ভুলে-শুদ্ধই মোৰ দেশ'—এই ভাবটোৰ বিকাশ হৈছিল, আৰু ব্যক্তিৰ সম্পৰ্কত যিবিলাক কাম বেয়া আৰু নীতিবিৰুদ্ধ বুলি বিবেচনা কৰা হৈছিল, জাতিবিলাকে তেনেবিলাক কামকে কৰি গৌৰৱ কৰিছিল। এইদৰে ব্যক্তিৰ নৈতিকতা আৰু জাতিৰ নৈতিকতাৰ মাজত আচৰিত এটা বৈষম্যৰ সৃষ্টি হৈছিল। ব্যক্তি আৰু জাতিৰ মাজত বিৰাট পাৰ্থক্য হৈছিল আৰু ব্যক্তিৰ নীতিবিৰুদ্ধ কাৰ্যবিলাকেই জাতিৰ নীতিমূলক কাম হৈছিল। স্ত্ৰী-পুৰুষ ব্যক্তিৰ সম্পৰ্কত স্বাৰ্থপৰতা, লোভ, মই-মতালি আৰু অভদ্ৰতা অত্যন্ত বেয়া আৰু অসহনীয় বুলি বিবেচনা কৰা হৈছিল। কিন্তু জাতিৰ বৃহৎ সমষ্টি-বিলাকৰ সম্পৰ্কত দেশপ্ৰেম আৰু দেশ-সেৱাৰ সম্ভ্ৰমপূৰ্ণ মুখাৰ আঁৰত সেইবিলাকৰ প্ৰশংসা কৰি সেইবিলাকক উৎসাহ দিয়া হৈছিল। আন কি, ইচ্ছাকৃত হত্যা আৰু প্ৰাণনাশো প্ৰশংসনীয় হয়, যদি বৃহৎ সমষ্টিৰ জাতিবিলাকৰ এটাৰ ওপৰত আনটোৱে তেনেবিলাক কাম কৰে। আধুনিক কালৰ গ্ৰন্থকাৰ এজনে আমাক কৈছে যে "সভ্যতা এনে এটা কৌশল, যাৰ দ্বাৰা ব্যক্তিৰ নীতিবিৰুদ্ধ কামবিলাকৰ ভাৰ বেছিকৈ ডাঙৰ হোৱা সমূহীয়া গোটবিলাকক দিব পৰা হয়", আৰু তেওঁৰ কথা নিখুঁতভাৱে শুদ্ধ।

১৪৬

বিশ্বৰ যুদ্ধখনৰ আৰম্ভণি

২৩ মাৰ্চ, ১৯৩৩

জাতিবিলাক কেনেকৈ পৰস্পৰৰ আচৰণৰ সম্পৰ্কত নীতিবিৰোধী আৰু দুৰাচাৰী হৈছিল সেই কথা দেখুৱাই মই ইয়াৰ আগৰখন চিঠি শেষ কৰিছিলোঁ। সেই জাতিবিলাকে য'তে পাৰিছিল ত'তে আন জাতিৰ প্ৰতি বিৰক্তিকৰ আৰু অসহিষ্ণু মনোবৃত্তি অৱলম্বন কৰিছিল আৰু যিটো তেওঁলোকে ভোগ কৰিব নোৱাৰিছিল তাক আনক ভোগ কৰিবলৈ নিদিয়াৰ নীতি চলাইছিল আৰু এনে কৰাটো তেওঁলোকে নিজৰ স্বাধীনতাৰ চিন বুলি বিবেচনা কৰিছিল। তেওঁলোকক উচিত আচৰণ কৰিবলৈ কৰবলৈ কৰ্তৃত্ব থকা কোনো নাছিল, কাৰণ তেওঁলোক স্বাধীন আছিল আৰু আনৰ হস্তক্ষেপত তেওঁলোক বিৰক্ত নহব নে? তেওঁলোকৰ আচৰণৰ একমাত্ৰ প্ৰতিষেধক আছিল—পৰিণামলৈ ভয়। সেই কাৰণে বলী জাতিবিলাকক কিছু পৰিমাণে সন্মান কৰা হৈছিল আৰু দুৰ্বলবিলাকক ধমক দি ভয় খুওৱা হৈছিল।

জাতিবিলাকৰ মাজত এই প্ৰতিদ্বন্দ্বিতা আচলতে পুঁজিবাদী উদ্যোগৰ সংবৰ্ধনৰ অৱশ্যম্ভাৱী ফল আছিল। আমি আগতে বুজিব পাৰিছোঁ কেনেকৈ বজাৰ আৰু কেঁচা মালৰ সদায় বাঢ়ি গৈ থকা দাবীয়ে পুঁজিবাদী শক্তিবিলাকক সাম্ৰাজ্যৰ কাৰণে পৃথিৱীখনৰ চাৰিওফালে লৰি ফুৰিবলৈ বাধ্য কৰিছিল। তেওঁলোকে এচিয়া আৰু আফ্ৰিকাত লৰি-চাপৰি ফুৰি তেওঁলোকৰ শোষণৰ কাৰণে যিমান পাৰিছিল সিমান ৰাজ্য দখল কৰি লৈছিল। পৃথিৱীখন জুৰি সবাৰ পাছত আৰু বিস্তৃত হবলৈ ঠাই নোহোৱা হৈছিল, সেই কাৰণে সাম্ৰাজ্যবাদী শক্তিবিলাকে ইটোৰ প্ৰতি সিটোৱে তীক্ষ্ণ দৃষ্টিৰে চাই ইটোৱে সিটোৰ ৰাজ্যলৈ লোভ কৰিবলৈ ধৰিছিল। এচিয়া, আফ্ৰিকা আৰু য়ুৰোপত বৃহৎ শক্তি কেইটাৰ মাজত সংঘাত হৈছিল, খঙৰ জুই জ্বলিছিল আৰু যুদ্ধ লগাৰ সকলো সম্ভাৱনা হৈছিল। কিছুমান শক্তিৰ অৱস্থা আনবিলাকতকৈ বেছি ভাল আছিল আৰু ইংলেণ্ডৰ উদ্যোগ বিষয়ত প্ৰাধান্য আৰু বিৰাট সাম্ৰাজ্য থকাৰ কাৰণে সেই দেশ আন সকলোবিলাকতকৈ বেছি সৌভাগ্যশালী আছিল। কিন্তু ইংলেণ্ডো সন্তুষ্ট নাছিল, কাৰণ মানুহৰ যিমান বেছি হয় তাৰ সিমান বেছিকৈ লাগে। সেই দেশৰ 'সাম্ৰাজ্য গঢ়োঁতা' বিলাকৰ মগজুত সেই দেশৰ সাম্ৰাজ্য বিস্তাৰৰ বিৰাট বিৰাট পৰিকল্পনা জাঁহিছিল। সেই


ইউরোপ ১৯১৪-১৫
পূর্ব-প্রাশিয়া
বার্লিন
ভিয়েনা
গেলিসিয়া
রুমানিয়া
বুলগেরিয়া
সার্বিয়া
আলবেনিয়া
কনস্ট্যান্টিনোপল
বেলজিয়াম
প্যারিস
লণ্ডন
১৯১৫ সালে শেষে
কেন্দ্রীয় শক্তিবর্গের
অধিকৃত অঞ্চলসমূহ

পৰিকল্পনাবিলাক আছিল আফ্রিকাৰ উত্তৰকাষৰপৰা দক্ষিণ কাষলৈকে কোনো ঠাই বাদ নিদিয়াকৈ কাইৰোৰপৰা অন্তৰীপটোলৈকে বিস্তৃত হৈ থকা এখন আফ্রিকা সাম্রাজ্যৰ। উদ্যোগ বিষয়ত জাৰ্মাণী আৰু যুক্তৰাজ্যৰ প্ৰতিযোগিতাৰ কাৰণেও ইংলেণ্ড চিন্তান্বিত হৈছিল। এই দেশ দুখনে ইংলেণ্ডতকৈও বেছি সস্তীয়া বস্তু কাৰখানাত উৎপন্ন কৰি এই উপায়েৰে ইংলেণ্ডৰ বজাৰ সেই দেশৰ হাতৰপৰা অপহৰণ কৰিছিল।

কেৱল ইংলেণ্ডেই যেতিয়া সন্তুষ্ট নাছিল, তেতিয়া আনবিলাক শক্তি আৰু বেছি অসন্তুষ্ট আছিল, জাৰ্মাণী পলমকৈ বৃহৎ শক্তিৰ দলভুক্ত হৈছিল আৰু সেই দেশে দেখা পাইছিল যে সকলোবিলাক পকা বগৰিৰ অন্ত পৰিছিল। সেই দেশে দেখা ইতিমধ্যে বিজ্ঞান, শিক্ষা আৰু উদ্যোগত যথেষ্ট উন্নতি কৰিছিল আৰু লগে লগে এটা প্ৰকাণ্ড সৈন্যবাহিনী সংগঠিত কৰিছিল। বনুৱাবিলাকৰ কাৰণে সমাজ সংস্কাৰ বিষয়ৰ আইনৰ সম্পৰ্কতো সেই দেশ ইংলেণ্ডকে আদি কৰি আন সকলো দেশতকৈ বেছি উন্নত আছিল। যি কালত জাৰ্মাণী দৃশ্যপটত অৱতীৰ্ণ হৈছিল, সেই কালত পৃথিৱীৰ সৰহভাগ ঠাই আন সাম্রাজ্যবাদী শক্তিবিলাকে দখল কৰি আছিল, সেই কাৰণে সেই দেশৰ শোষণৰ পথ সীমাবদ্ধ আছিল; তথাপি অতি কঠোৰ শ্ৰম আৰু আত্মনিয়ন্ত্ৰণৰ ফলত সেই দেশ উদ্যোগিক পুঁজিবাদৰ যুগৰ আটাইতকৈ বেছি শক্তিশালী আৰু কাৰ্য্যদক্ষ শক্তি হৈছিল। সেই দেশৰ বাণিজ্যৰ জাহাজ সকলো বন্দৰতে দেখিবলৈ পোৱা গৈছিল আৰু নিজৰ বন্দৰ হামবাৰ্গ আৰু ব্রেমেন পৃথিৱীৰ আটাইতকৈ বৃহৎ বন্দৰবিলাকৰ ভিতৰত পৰিছিল। জাৰ্মাণীৰ বাণিজ্য চলোৱা জাহাজবিলাকে অকল জাৰ্মাণ বস্তুকে সুদূৰ দেশবিলাকলৈ কঢ়িওৱা নাছিল, আন আন দেশৰ বাণিজ্যৰ বস্তু কঢ়িওৱা ব্যৱসায়টোও সেইবিলাকে হস্তগত কৰিছিল।

এনে কৃতকাৰ্য্যতা লাভ কৰা আৰু নিজৰ শক্তিৰ বিষয়ে সম্পূৰ্ণ সচেতন নতুন জাৰ্মাণী সাম্রাজ্যই সেই দেশৰ অধিক সংবৰ্ধনত যিবিলাক বাধা পাইছিল, সেইবিলাকৰ কাৰণে সেই দেশৰ বৰকৈ খং উঠা একো আচৰিত কথা নহয়। প্ৰুছিয়া জাৰ্মাণী সাম্রাজ্যৰ নেতা আছিল আৰু ক্ষমতাত অধিষ্ঠিত হৈ থকা প্ৰুছিয়াৰ জমিদাৰবিলাক আৰু সামৰিক শ্ৰেণীটো কোনো কালেই বিনয়ী বুলি জনা নহয়। তেওঁলোক আক্ৰমণাত্মক আছিল আৰু নিষ্ঠুৰভাৱে এনে হব পৰা কাৰণে তেওঁলোকে গৌৰৱ কৰিছিল আৰু হোহেন জোৰ্লান ৰাজবংশৰ কেইজাৰ ২য় উইলহেল্মক তেওঁলোকৰ এই মইমতালি দেখুৱা আৰু মইমৰ ভাবৰ আদৰ্শনীয় নেতা পাইছিল। কেইজাৰে সকলো ঠাইতে ঘোষণা কৰি ফুৰিছিল যে জাৰ্মাণী পৃথিৱীৰ নেতা হব। সেই দেশে পৃথিৱীৰ এটা উচিত মৰ্য্যাদা বিচাৰিছিল, সমুদ্ৰৰ সেই দেশৰ ভৱিষ্যত আছিল আৰু সেই দেশৰ 'কুল্টুৰ' (সংস্কৃতি) পৃথিৱীৰ সকলো ভাগলৈকে ব্যাপ্ত কৰা সেই দেশৰ পবিত্ৰ উদ্দেশ্য আছিল।

পিছে এই সকলোবিলাক কথা আন আন মানুহে আৰু আন আন জাতিয়ে আগতে কৈছিল। ইংলেণ্ডৰ 'বগা মানুহৰ বোজা' আৰু ফ্ৰান্সৰ 'সভ্য কৰাৰ পবিত্ৰ উদ্দেশ্য' জাৰ্মাণীৰ 'কুল্টুৰ'ৰ সৈতে একে গোষ্ঠীৰ আছিল। ইংলেণ্ডে

সমুদ্রত সর্বেসর্বা আছিল বুলি দাবী কৰিছিল আৰু সেই দেশ আচলতে তেনে আছিলো। বহুত ইংৰাজে বিটো দাবী কৰিছিল, তাকে কেইজাৰে জাৰ্মাণীৰ কাৰণে বৰং অসংযতভাৱে আৰু বৰ বৰ কথাৰে কৈছিল, পাৰ্থক্য মাথোন এই টোৱেই আছিল যে ইংলেণ্ডে বিটো দাবী কৰিছিল সেইটো সেই দেশৰ অধিকাৰ-ভুক্ত হৈ আছিল, কিন্তু জাৰ্মাণীৰ তেনে হোৱা নাছিল। তথাপি কেইজাৰৰ বৰ বৰ কথাই বৃটিছক বিৰক্ত কৰিছিল। আন কোনো জাতিয়ে পৃথিৱীত প্ৰধান হবলৈ ভৰা কথাটোৱেই তেওঁলোকৰ কাৰণে অত্যন্ত অপ্রিয় আছিল। এনে ভাব সাধাৰণ বিশ্বৰ বিৰোধী আছিল আৰু যি ইংলেণ্ডে নিজক আটাইতকৈ শ্রেষ্ঠ জাতি বুলি বিবেচনা কৰিছিল, সেই ইংলেণ্ডৰ ওপৰত দেখুদেখু আক্ৰমণ স্বৰূপ আছিল। সমুদ্ৰৰ সম্পৰ্কত ইংলেণ্ডে এশ বছৰৰ পূৰ্বে ট্ৰাফালগাৰত নেপোলিয়নক পৰাজয় কৰাৰ পাছৰপৰাই ইয়াক সেই দেশৰ আচুতীয়া ক্ষেত্ৰ বুলি বিবেচনা কৰি আহিছিল। আৰু জাৰ্মাণী বা আন কোনো জাতি এই অৱস্থাৰ বিৰুদ্ধে উঠাটো ইংৰাজবিলাকৰ মনত অত্যন্ত অনুচিত আছিল। যদি বৃটেন সমুদ্ৰত সবল নোহোৱা হয়, তেনেহলে সেই দেশৰ সুদৰ প্ৰসাৰী সাম্ৰাজ্যখনৰ কি গতি হব?

কেইজাৰৰ বিৰোধিতা আৰু ভীতি প্ৰদৰ্শন যথেষ্ট বেয়া আছিল, তাতোকৈ বেছি বেয়া হৈছিল এইটোহে যে নৌবাহিনী বৃদ্ধি কৰি তেওঁ কথামতে কামো কৰিছিল। এই কামে বৃটিছবিলাকৰ প্ৰবৃত্তি আৰু মনৰ বল তেনেই ওলট-পালট কৰিছিল আৰু তেওঁলোকৰ নিজৰ নৌবাহিনীৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল আৰু দুয়ো বাতৰি কাকতবিলাকে চিঞৰ-বাখৰ লগাই বেছিকৈ যুদ্ধ-জাহাজৰ দাবী কৰা আৰু জাতীয় ঘৃণা বঢ়োৱা আন্দোলন চলাইছিল।

এইটো য়ুৰোপৰ এটা বিপদৰ অঞ্চল আছিল। আন বহুতো তেনে অঞ্চল আছিল। ফ্ৰান্সত আৰু জাৰ্মাণী স্বাভাৱিকতে পুৰণি প্ৰতিদ্বন্দ্বী আছিল, ১৮৭০ খ্ৰীঃৰ পৰাজয়ৰ স্মৃতিয়ে তেতিয়াও ফৰাচী মানুহৰ মনত ভীষণ খং তুলি আছিল আৰু তেওঁলোকে প্ৰতিশোধৰ কল্পনা কৰি আছিল। বলকান দেশবিলাক সদায় খাৰবাৰুদৰ বাকচৰ দৰে আছিল, সেইবিলাক দেশত বিভিন্ন বিৰোধী স্বাৰ্থ সক্রিয় হৈ আছিল। জাৰ্মাণীয়ে পশ্চিম এচিয়াত সেই দেশৰ প্ৰভাৱ বঢ়াবৰ অৰ্থে তুৰস্কৰ লগত বন্ধুতা স্থাপন কৰিবলৈকো আৰম্ভ কৰিছিল। বাগ্‌দাদ নগৰখনক কনষ্টাণ্টি-নোপল আৰু য়ুৰোপৰ লগত সংযুক্ত কৰা এটা ৰেলপথ নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছিল। প্ৰস্তাৱটো প্ৰধানকৈ বাঞ্ছনীয় আছিল, কিন্তু জাৰ্মাণীয়ে এই ৰেল-পথত আধিপত্য কৰিব খুজিছিল কাৰণে ই আন আন জাতিৰ ঈৰ্ষা উদ্ৰেক কৰি-ছিল।

ক্ৰমে ক্ৰমে যুদ্ধৰ ভয় য়ুৰোপত ব্যাপ্ত হৈছিল আৰু আত্মৰক্ষাৰ কাৰণে শক্তিবিলাকে মিত্ৰতা কৰিবলৈ বিচাৰিছিল। বৃহৎ শক্তি কেইটা দুটা সমষ্টিত সংগঠিত হৈছিল—জাৰ্মাণী, অষ্ট্ৰীয়া আৰু ইটালীৰ 'তিনি শক্তিৰ মিত্ৰতা', আৰু ইংলেণ্ড, ফ্ৰান্স আৰু ৰুচিয়াৰ 'তিনি শক্তিৰ মিলন'। ইটালী তিনি শক্তিৰ মিত্ৰতাৰ অতি নিৰুৎসাহী ভাগী আছিল আৰু ৰক্ষপাৰ্থত যুদ্ধ লগাত সেই দেশে নিজৰ কথা এৰি আনটো পক্ষৰ লগ লৈছিল। অষ্ট্ৰীয়া আছিল এখন খান্‌দান্

হোৱা সাম্রাজ্য, মানচিত্রত বিৰাট আছিল, কিন্তু অখিল উপাদানেৰে পৰিপূৰ্ণ আছিল, তাৰ ৰাজধানী সুন্দৰ ভিয়েনা নগৰখন বিজ্ঞান, সঙ্গীত আৰু কলাৰ শ্রেষ্ঠ কেন্দ্র আছিল। এইদৰে তিনি শক্তিৰ মিত্রতাৰ অৰ্থ পৰিণামত হৈছিল জাৰ্মাণী। কিন্তু পৰীক্ষাৰ সময় নহালৈকে অৱশ্যে কোনেও নেজানিছিল ইটালী আৰু অষ্ট্রীয়াই কি ভাও লব।

এইদৰে ইউৰোপত ভয়ৰ ৰাজত্ব হৈছিল, আৰু ভয় এটা ভয়ঙ্কৰ কথা। প্রত্যেকখন দেশেই যুদ্ধৰ কাৰণে সাজু হৈ থাকি অত্যন্ত বেছি পৰিমাণে অস্ত্রশস্ত্রৰে সুসজ্জিত হৈছিল। অস্ত্রশস্ত্র যোগানৰ এটা প্রতিযোগিতা চলিছিল আৰু এনে প্রতিযোগিতাৰ বৈশিষ্ট এই যে এখন দেশে অস্ত্রশস্ত্র বঢ়ালে আনবিলাক দেশে তেনে কৰিবলৈ বাধ্য হয়। ব্যক্তিগত কাৰবাৰ চলোৱা বিৰিলাক ডাঙৰ কোম্পা-নীয়ে অস্ত্রশস্ত্র অৰ্থাৎ বন্দুক, যুদ্ধ জাহাজ, খাৰ-বাৰুদ আৰু আন সকলোবিলাক যুদ্ধৰ উপকৰণ উৎপাদন কৰিছিল, স্বাভাৱিকতে অতি বেছি বেছিকৈ লাভ কৰি সেইবিলাক দেশ বৰ ধনী হৈছিল। তেওঁলোকে আৰু বেছি আগুৱাই গৈ দেশবিলাকত তেওঁলোকৰপৰা বেছি অস্ত্রশস্ত্র কিনাত উৎসাহ দিবৰ কাৰণে স্বৰূপতে যুদ্ধৰ ভয় প্রচাৰ কৰিবলৈ ধৰিছিল। অস্ত্রশস্ত্রৰ কাৰবাৰ চলোৱা এই প্রতিষ্ঠানবিলাক অতি ধন আৰু ক্ষমতাশাল. আছিল আৰু ইংলেণ্ড, ফ্রান্স, জাৰ্মান আৰু আন আন দেশত বহুত উচ্চ পদস্থ চৰকাৰী বিষয়া আৰু মন্ত্রীৰ সেইবিলাকত অংশ আছিল। যুদ্ধৰ ভয় আৰু যুদ্ধ হলেই অস্ত্রশস্ত্রৰ কাৰবাৰ চলোৱা প্রতিষ্ঠানবিলাকৰ সমৃদ্ধি হয়। এইদৰে এনে এটা আচৰিত অৱস্থাৰ সৃষ্টি হৈছিল যে চৰকাৰৰ বহুত মন্ত্রী আৰু বিষয়াই অৰ্থনৈতিক কাৰণত যুদ্ধৰ কাৰণে আগ্রহ কৰিছিল। এই কাৰবাৰী প্রতিষ্ঠানবিলাকে বিভিন্ন দেশৰ যুদ্ধ সম্পৰ্কৰ ব্যয় বঢ়াবৰ কাৰণে আন উপায়েৰেও চেষ্টা কৰিছিল। তেওঁলোকে জনমত প্রভাৱিত কৰিবৰ অৰ্থে বাতৰি কাকত কিনি লৈ সেইবোৰে চৰকাৰী বিষয়াবিলাকক খোঁচ খুৱাই জনসাধাৰণক উত্তে-জিত কৰিবলৈ মিছা বাতৰি প্রচাৰ কৰিছিল। কিমান সাংঘাটিক এই অস্ত্রশস্ত্র উৎপাদন কৰা উদ্যোগটো। আনৰ মৃত্যু সাধি ই চলি থাকে আৰু যুদ্ধৰপৰা যাতে ই লাভ কৰিব পাৰে তাৰ কাৰণে যুদ্ধৰ বিভীষিকা সৃষ্টিৰ কাৰণবিলাকত উৎসাহ দি তেনে বিভীষিকা সৃষ্টি কৰে। ১৯১৪ খ্রীঃৰ যুদ্ধখন সোনকালে লগোৱাত এই উদ্যোগটোৱে কিছু পৰিমাণে সহায় কৰিছিল। আজিও ই সেই একে খেলাকে খেলি আছে।

যুদ্ধৰ কথা-বতৰা চলি থকা অৱস্থাতে শান্তিৰ কাৰণে কৰা এটা আচৰিত চেষ্টাৰ কথা মই তোমাক কোৱা উচিত হব। সকলো মানুহ থাকোঁতে ৰুচিয়াৰ জাৰ ২য় নিকলাচে শক্তিবিলাকক পৰামৰ্শ দিছিল যে, সাৰ্বজনীন শান্তিৰ যুগ এটাৰ প্রবৰ্ত্তনৰ কাৰণে তেওঁলোকৰ এখন সন্মিলন হোৱা উচিত। এই জাৰেই তেওঁৰ সাম্রাজ্যত সকলোবিলাক উদাৰ আন্দোলন সম্পূৰ্ণ দমন কৰি আছিল আৰু যাৱজ্জীৱন কাৰাদণ্ড দিয়া বন্দীৰে চাইবেৰিয়া ভৰাই পেলাইছিল। তেওঁ শান্তিৰ কথা কোৱাটো প্রায় ধেমালি যেন লাগে। কিন্তু সম্ভৱতঃ তেওঁ সাধু ভাবে-ৰেই এই পৰামৰ্শ দিছিল, কাৰণ তেওঁৰ কাৰণে শান্তিৰ অৰ্থ আছিল প্রচলিত

অৱস্থা আৰু তেওঁৰ স্বেচ্ছাচাৰিতা চলি থকা। তেওঁৰ নিয়ন্ত্ৰণৰ সহায়ৰি স্বৰূপে ১৮৯৯ খ্ৰীঃত আৰু ১৯০৭ খ্ৰীঃত হলেণ্ডৰ হেগত দুখন 'শান্তি সম্মিলন' হৈছিল। তাত অকণমানো প্ৰাধান্য থকা কোনো কাম নহৈছিল। শান্তি হঠাৎ আকাশৰপৰা পৰিব নোৱাৰে। যেতিয়া অশান্তিৰ মূল কাৰণ গুচুৱা হয়, তেতিয়াহে ই সম্ভৱ হব পাৰে।

মই তোমাক বৃহৎ শক্তি কেইটাৰ প্ৰতিদ্বন্দ্বিতা আৰু ভয়ৰ কাৰণৰ বিষয়ে বহুত কৈছোঁ। নিঃকিন সৰু জাতিবিলাককৈ আওকাণ কৰা হৈছে, এনে জাতি যি কেইটাই অসৎ আচৰণ কৰে, সেই কেইটাকৈ অৱশ্যে আওকাণ কৰা হোৱা নাই। য়ুৰোপৰ উত্তৰ ফালে এনে কেইখনমান সৰু সৰু দেশ আছে, সেই-বিলাককৈ মন কৰা উচিত, কাৰণ সেইবিলাক দেশ লোভী আৰু সৰ্বগ্ৰাসী বৃহৎ শক্তিকেইটাতকৈ বহুত বেলেগ। স্কাণ্ডিনেভিয়াত নৰৱে আৰু চুইডেন আছে আৰু সেইখন দেশৰ ঠিক তলতে ডেনমাৰ্ক আছে। এই দেশখন উত্তৰ মেৰু অঞ্চলৰপৰা বেছি দূৰৈত নহয়; সেইবিলাক শীতপ্ৰধান দেশ আৰু তাত বাস কৰা কষ্টকৰ। সেই তিনিখন দেশত কম জনসংখ্যাৰ জীৱিকা নিৰ্বাহ হব পাৰে। কিন্তু দেশকেইখন বৃহৎ শক্তি কেইটাৰ ঘৃণা, ঈৰ্ষা আৰু প্ৰতিদ্বন্দ্বিতাৰ আৱেষ্টনীৰ বাহিৰত থকাৰ কাৰণে তাৰ মানুহবিলাকে শান্তিপূৰ্ণ জীৱন চলাই সভ্য পদ্ধতিত তেওঁলোকৰ শক্তি বঢ়াইছে। সেইবিলাক দেশত বিজ্ঞানৰ সমৃদ্ধি হৈছে আৰু সুন্দৰ সাহিত্যৰ উদগতি হৈছে। ১৯০৫ খ্ৰীঃৰ আগলৈকে নৰৱে আৰু চুইডেন সংযুক্ত এখন ৰাষ্ট্ৰ আছিল। সেই বছৰত নৰৱেৱেই বেলেগ হৈ গৈ সুকীয়া অস্তিত্ব চলাবলৈ সিদ্ধান্ত কৰিছিল। সেই দুয়োখন দেশে শান্তিপূৰ্ণভাৱে একতাৰ বান্ধোন ছিঙিবলৈ সিদ্ধান্ত কৰিছিল, তেতিয়াৰ পৰা দেশখন স্বাধীন ৰাষ্ট্ৰ হৈ আছে। তাত যুদ্ধ নাইবা এখন দেশে আনখনক বাধ্য কৰাৰ চেষ্টা নকৰিছিল আৰু দুয়োখন দেশে ওচৰ-চুবুৰীয়া বন্ধু স্বৰূপে চলিবলৈ লৈছিল।

ক্ষুদ্ৰ ডেনমাৰ্কে সেই দেশৰ সৈন্যবাহিনী আৰু নৌবাহিনী বন্ধ কৰি ডাঙৰ-সৰু সকলো দেশকে এটা আদৰ্শ দেখুৱাইছিল। সেইখন কৃষকৰ দেশ, খেতিৰ সৰু সৰু পাম থকা মানুহৰ দেশ, তাত ধনী আৰু দুখীয়াৰ মাজত পাৰ্থক্য বেছি নাই। তাত সমবায় আন্দোলনৰ উন্নয়নৰ কাৰণে বাইকৈ এনে সমীকৰণ হৈছে।

কিন্তু য়ুৰোপৰ সকলো সৰু দেশ ডেনমাৰ্কৰ দৰে সদাচাৰৰ শ্ৰেষ্ঠ নিদৰ্শন নহয়। হলেণ্ডো সৰু, কিন্তু পূৰ্ব ভাৰতীয় দ্বীপপুঞ্জত (যাভা, সুমাত্ৰা আদিত) ই এতিয়াও ডাঙৰ এখন সাম্ৰাজ্যৰ ওপৰত আধিপত্য কৰিছে। ইয়াৰ পঞ্জুতে থকা বেলজিয়ামে আফ্ৰিকাৰ কঙ্গো জাতিক শোষণ কৰিছে। কিন্তু য়ুৰোপৰ ৰাজ-নীতিত ই প্ৰাধান্য লাভ কৰিছে ইয়াৰ অৱস্থানৰ কাৰণে। ই ফ্ৰান্স আৰু জাৰ্মা-ণৰ মাজৰ পথটোৰ প্ৰায় ওচৰতে আৰু প্ৰায় ওপৰতে আৰু এই দুখন দেশৰ মাজত কোনো যুদ্ধ লাগিলে ইয়াক সেই যুদ্ধলৈ টানি নিয়াটো প্ৰায় সুনিশ্চিত। তোমাৰ মনত পৰিব যে ৱাটাৰলু বেলজিয়ামৰ ব্ৰুছেল্‌চৰ ওচৰত, সেই কাৰণে বেলজিয়ামক 'য়ুৰোপৰ ৰণস্থলী' বোলা হৈছিল। প্ৰধান বৃহৎ শক্তি কেইটাই মিলি স্থিৰ কৰিছিল যে যুদ্ধ হলে তেওঁলোকে বেলজিয়ামৰ নিৰপেক্ষতা মানি

চলিব, কিন্তু আমি জানিব পাৰিম যে যেতিয়া সচাঁসচিকৈ যুদ্ধ হৈছিল, তেতিয়া এই সিদ্ধান্ত আৰু প্ৰতিশ্ৰুতি ভাগি ছিগি গৈছিল।

কিন্তু য়ুৰোপৰ বা আন অঞ্চলৰ সকলোবিলাক দেশতকৈ বেছি আছুকলীয়া দেশ হৈছে বলকান দেশ কেইখন। ইয়াত নানা জাতিৰ আৰু মানৱ গোষ্ঠীৰ বিশৃংখল সংমিশ্ৰন হৈছে আৰু আৰু বহুত পুৰুষ শত্ৰুতা আৰু প্ৰতিদ্বন্দ্বিতা চলি থকা এই দেশকেইখন এখনৰ প্ৰতি আনখনৰ ঘৃণা আৰু সংঘৰ্ষেৰে পৰিপূৰ্ণ হৈ আছে। ১৯১২ খ্ৰীঃত আৰু ১৯১৩ খ্ৰীঃৰ বলকান যুদ্ধ অসাধৰণভাৱে নিষ্ঠুৰ আছিল, অলপদিনৰ ভিতৰত আৰু সৰু এটা অঞ্চলত বিৰাট ক্ষতি হৈছিল। প্ৰবাদ আছে যে বুলগেৰিয়ানবিলাকে আশ্ৰয়প্ৰাৰ্থী আৰু পিছু হুহকি যোৱা তুৰ্কীবিলাকৰ ওপৰত ভীষণ অত্যাচাৰ কৰিছিল। বছৰ দুটাৰ আৰম্ভণি ভাগত তুৰ্কীবিলাকৰো কাৰ্যকলাপ অতি বেয়া আছিল। চাৰিয়াই (এতিয়া যুগোশ্লেভিয়াৰ অংশ) হত্যা কৰা কামৰ কাৰণে অত্যন্ত কুৎচিৎ বদনাম আৰ্জিছিল। নাৰত দেশপ্ৰেমী মানুহৰ এটা এটা হত্যাকাৰীৰ গুপ্ত দল আছিল, ইয়াক 'ক'লা হাত' বোলা হৈছিল আৰু ৰাষ্ট্ৰৰ বহুত উচ্চ পদস্থ বিষয়া ইয়াৰ সভ্য আছিল; আচৰিত আৰু ভয়ঙ্কৰ বহুত ধাৰাবাহিক হত্যাৰ কাৰণে এই দলটো দায়ী আছিল। দেশখনৰ ৰজা আলেকজেণ্ডাৰ আৰু ৰাণী ড্ৰাগা, ৰাণীৰ ভাই-ককাইবিলাকক, প্ৰধান মন্ত্ৰীজনক, আৰু আন কিছুমানক অতি ঘৃণনীয়ভাৱে হত্যা কৰা হৈছিল। এইটো কাৰেণ্ডৰ বিপ্লৱ আছিল, আৰু আন এজন মানুহক ৰজা পতা হৈছিল।

এইদৰে য়ুৰোপৰ আকাশত চেৰেকনি আৰু বজ্ৰপাতেৰে বিংশ শতাব্দীটো আৰম্ভ হৈছিল আৰু বছৰৰ পাছত বছৰ পাৰ হৈ যোৱাৰ লগে লগে বেছিকৈ হৈছিল। জটিলতা আৰু বিশৃংখলা বাঢ়িছিল আৰু য়ুৰোপৰ জীৱনধাৰা বিভিন্ন মেৰ পাকত সোমাই আটক হৈছিল, যুদ্ধই শেহান্তৰত এই মেৰপাকবিলাক কাটিছিল। সকলোবিলাক শক্তিয়ে যুদ্ধ হব বুলি ভাবি তাৰ কাৰণে ৰিডত হৈ সাজু হৈছিল, তথাপি সম্ভৱতঃ কোনোটো শক্তিৰে যুদ্ধলৈ বেছি আগ্ৰহ নাছিল। সকলোবিলাক শক্তিয়ে যুদ্ধলৈ কিছুপৰিমাণে ভয় কৰিছিল, কাৰণ যুদ্ধৰ কি ফল হব কোনোৱে নিশ্চয়কৈ আগতে ক'ব নোৱাৰিছিল। তথাপি ভয়েই সিবিলাকক যুদ্ধ লগাবলৈ বাধ্য কৰিছিল। মই আগতে তোমাক কৈছোঁ। যে য়ুৰোপৰ পক্ষ দুটা ইটোৰ বিৰুদ্ধে সিটো সাজু হৈছিল। ইয়াক বোলা হৈছিল 'শক্তিৰ ভাৰ-সাম্য' ভাৰসাম্যটো বৰ নিশকটীয়া আছিল, সৰু ঠেলা এটাৰে তাক বগৰাই পেলাব পৰা হৈছিল। জাপান যদিও য়ুৰোপৰপৰা বহুত দূৰৈত আছিল আৰু য়ুৰোপৰ স্থানীয় সমস্যাবিলাকলৈ সেই দেশৰ বোহু অনুগ্ৰহ নাছিল, তথাপি ইও য়ুৰোপৰ মিত্ৰতা আৰু শক্তিৰ ভাৰসাম্যৰ অংশীদাৰ আছিল' কাৰণ জাপান ইংলেণ্ডৰ মিত্ৰ আছিল। এই মিত্ৰতাৰ অৰ্থ আছিল প্ৰাচ্যত, বিশেষকৈ ভাৰতবৰ্ষত ইংলেণ্ডৰ স্বাৰ্থ ৰক্ষা কৰা। ইংৰাজ আৰু ৰুচিয়াৰ মাজত অবিৰামভাৱে চলি থকা কাজিয়াৰ মাজতে ইয়াক কৰা হৈছিল আৰু যদিও এই কালত ইংলেণ্ড আৰু ৰুচিয়া একে পক্ষতে আছিল, তথাপি ই তেতিয়াও কামত আহিছিল। বৃহৎ শক্তি অকল আমেৰিকা য়ুৰোপৰ এই মিত্ৰতা আৰু ভাৰসাম্যৰ পদ্ধতিৰপৰা আঁতৰ হৈ আছিল।

১৯১৪ খ্ৰীঃত অৱস্থা এনে আছিল। তোমাৰ মনত পৰিব এই সময়তে স্বায়ত্ত শাসনৰ আইনৰ আঁচনিখনৰ সম্পৰ্কত আয়াৰলেণ্ডত ইংলেণ্ডৰ বহুত অশান্তি হৈছিল। আলষ্টাৰে বিদ্ৰোহ কৰিছিল, উত্তৰ আৰু দক্ষিণফালে স্বেচ্ছাসেৱক-বিলাকে সামৰিক ব্যায়ামৰ চৰ্চা কৰিছিল আৰু আয়াৰলেণ্ডত গৃহযুদ্ধৰ কথা-বতৰা চলিছিল। এইটো অতি সম্ভৱপৰ কথা যে জাৰ্মাণ চৰকাৰে হয়তো ভাবিছিল যে আয়াৰলেণ্ডৰ অশান্তিয়ে ইংলেণ্ডক ব্যস্ত কৰি ৰাখিব আৰু য়ুৰোপত যুদ্ধ লাগিলে ইংলেণ্ডে তাত হস্তক্ষেপ নকৰিব। স্বৰূপাৰ্থত যুদ্ধ লাগিলে ফ্ৰান্সৰ লগত যোগ দিবলৈ ইংৰাজ চৰকাৰ গোপনে চুক্তিবদ্ধ হৈ আছিল, কিন্তু এই কথা বাহিৰত জনাজনি হোৱা নাছিল।

১৯১৪খ্ৰীঃৰ ২৮ জুন—এই তাৰিখতে ফিৰিঙটিটো ফুৰাই অনোৱা হৈছিল আৰু সেয়ে জুইকুৰাৰ সৃষ্টি কৰিছিল। আৰ্কডিউক ফ্ৰান্সিচ ফাৰ্ডিনাণ্ড অষ্ট্ৰিয়াৰ সিংহাসনৰ উত্তৰাধিকাৰী আছিল। তেওঁ বলকান অঞ্চলৰ বোচ্‌নিয়াৰ ৰাজধানী চেৰাজোভো চাবলৈ তালৈ গৈছিল। মই তোমাক আগতে কৈছোঁ। যে কেইবছৰমানৰ আগত যেতিয়া 'য়ুব-তুৰ্ক' বিলাকে তেওঁলোকৰ চুলতানক ভাঁতিবাবলৈ চেষ্টা কৰিছিল, তেতিয়া অষ্ট্ৰিয়াই বোচ্‌নিয়া অধিকাৰ কৰিছিল। আৰ্কডিউকে তেওঁৰ ওচৰতে বহি থোৱা তৈওঁৰ পৰিবাৰৰে সৈতে খোলা ঘোঁৰাগাড়ী এখনত তেওঁ আৰু তেওঁৰ পৰিবাৰ দুয়োকে বধ কৰা হৈছিল। অষ্ট্ৰিয়াৰ চৰকাৰৰ আৰু তাৰ জনসাধৰণৰ ভয়ঙ্কৰ খং উঠিছিল আৰু তেওঁলোকে চাৰ্বিয়াৰ চৰকাৰ এই অপৰাধত জড়িত আছিল বুলি (চাৰ্বিয়া বোচ্‌নিয়াৰ ওচৰ-চুবুৰীয়া আছিল) সেই চৰকাৰক দোষাৰোপ কৰিছিল। চাৰ্বিয়াৰ চৰকাৰে অৱশ্যে ইয়াক নুই কৰিছিল। বহুকালৰ পাছত তদন্ত কৰাৰ জনা গৈছিল যে যদিও চাৰ্বিয়াৰ চৰকাৰ হত্যাটোৰ কাৰণে দায়ী নাছিল, তথাপি ইয়াৰ কাৰণে কৰা আয়োজনৰ কথা চাৰ্বিয়াৰ চৰকাৰে একেবাৰে নজনাকৈ থকা নাছিল। যি কি নহওক, এই হত্যাৰ দায়িত্ব বাইকৈ চাৰ্বিয়াৰ 'ক'লা হাত' সংঘৰ ওপৰতে নিশ্চিতভাৱে পৰিছিল।

অষ্ট্ৰিয়াৰ চৰকাৰে আংশিকভাৱে খণ্ডত আৰু বাইকৈ নীতিমতে চাৰ্বিয়াৰ প্ৰতি বৰ বেছিকৈ আক্ৰমণাত্মক মনোবৃত্তি লৈছিল। স্বৰূপতে এই চৰকাৰে চাৰ্বিয়াক চিৰকালৰ বাবে সেও কৰিবলৈ সিদ্ধান্ত কৰিছিল আৰু বেছি ডাঙৰ যুদ্ধ হলে জাৰ্মাণীৰ পৰাক্ৰমী সাহায্যৰ ওপৰত নিৰ্ভৰ কৰিছিল। সেই কাৰণে চাৰ্বিয়াৰ ক্ষমা-প্ৰাৰ্থণা গ্ৰহণ কৰা নহৈছিল আৰু ১৯১৪ খ্ৰীঃৰ ২৩ জুলাই তাৰিখে অষ্ট্ৰীয়াই চাৰ্বিয়ালৈ শেষ প্ৰস্তাব পঠিয়াইছিল। তাৰ পাচদিনৰ পাচত ২৮ জুলাইৰ দিনা অষ্ট্ৰিয়াই চাৰ্বিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল।

অষ্ট্ৰিয়াৰ নীতি বাইকৈ স্থিৰ কৰিছিল এজন ডাকোপ মন্ত্ৰী আৰু নিৰ্বোধ মন্ত্ৰীয়ে, তেওঁ যুদ্ধ লগাবলৈ দৃঢ়প্ৰতিজ্ঞ আছিল। বেছি বয়সীয়া সম্ৰাট জোচেফক (তেওঁ ১৮৪৮ খ্ৰীঃৰ পৰা অষ্ট্ৰিয়াৰ সিংহাসনত আছিল) সন্মত হবলৈ প্ৰলোভিত কৰা হৈছিল আৰু জাৰ্মাণীৰ পৰা পোৱা সাহায্যৰ আধাআধি প্ৰতিশ্ৰুতিটোৰ অৰ্থ সম্পূৰ্ণ আশ্বাস বুলি বুজুৱা হৈছিল। প্ৰকৃততে অষ্ট্ৰীয়াৰ বাহিৰে বৃহৎ শক্তি-

কেইটাৰ কোনোটো সম্ভৱতঃ ঠিক সেই সময়তে যুদ্ধ লগাবলৈ আগ্ৰহান্বিত নাছিল। জাৰ্মানীৰ সকলো আয়োজন আৰু যুদ্ধ কৰিবলৈ আগ্ৰহ থকা স্বত্বেও সেই দেশ যুদ্ধৰ কাৰণে ব্যগ্ৰ নাছিল আৰু কেইজাৰ ২য় উইলহেল্‌মে আনকি ইয়াক নিবাৰণ কৰিবলৈকো গাত ললগোৱাকৈ চেষ্টা কৰিছিল। ইংলেণ্ড আৰু ফ্ৰান্স যুদ্ধৰ কাৰণে ব্যগ্ৰ নাছিল। ৰুচ চৰকাৰৰ অৰ্থ আছিল জাৰ, তেওঁ দুৰ্বল আৰু নিৰ্বোধ আছিল, প্ৰবঞ্চক আৰু নিৰ্বোধ মানুহবিলাকে তেওঁক চাৰিওফালে বেৰি ৰাখিছিল আৰু এইবিলাক মানুহেই তেওঁৰ মন যেনিতেনি নিয়াইছিল। অথচ এই মানুহজনৰ হাতত লাখ লাখ মানুহৰ ভাগ্য নিৰ্ভৰ কৰিছিল। মুঠতে কবলৈ হলে যুদ্ধলৈ তেওঁৰ নিজৰ বিতৃষ্ণা আছিল, কিন্তু তেওঁৰ উপদেশকবিলাকে পলম কৰিলে পৰিণাম বেয়া হব বুলি তেওঁক ভয় খুৱাইছিল আৰু সৈন্যবাহিনীক যুদ্ধৰ কাৰণে সাজু কৰাত সন্মতি দিবলৈ তেওঁক মান্তি কৰাইছিল। যুদ্ধৰ কাৰণে সাজু কৰাৰ অৰ্থ আছিল সৈন্যৰ দলবিলাকক যুদ্ধক্ষেত্ৰত যুদ্ধ কৰিবলৈ চমন দি যত্না আৰু ৰুচিয়াৰ দৰে বিৰাট দেশ এখনত এই পদ্ধতিটোৱে সময় লৈছিল। জাৰ্মাণৰ আক্ৰমণৰ ভয়ে সম্ভৱতঃ যুদ্ধৰ কাৰণে সৈন্য সাজু কৰাত খৰখেদা লগাইছিল। ৩০ জুলাইত এনে সৈন্য দলবিলাকক যুদ্ধ কৰিবলৈ চমন দি যত্না হৈছিল, ইয়াৰ বাতৰিটোৱে জাৰ্মাণীক ভয় খুৱাইছিল আৰু সেই দেশে সময়ত যুদ্ধৰ বিশাল যন্ত্ৰটো চলাই দিছিল যেতিয়া যি আৰু বন্ধ নহৈছিল। দুদিনৰ পাছত ১ আগষ্টত জাৰ্মাণীয়ে যুদ্ধলৈ সৈন্যদল চমন দি মাতিছিল আৰু ৰুচিয়া আৰু ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল আৰু প্ৰায় লগে লগেই বিৰাট বিৰাট জাৰ্মাণ সৈন্যবাহিনীয়ে বেলজিয়ামেদি ফ্ৰান্সলৈ যাবলৈ বেলজিয়ামত আক্ৰমণ আৰম্ভ কৰিছিল, কাৰণ সেই ফালেদি ফ্ৰান্সলৈ যোৱা বেছি সহজ আছিল। দুৰ্ভগীয়া বেলজিয়ামে জাৰ্মাণীৰ একো অপকাৰ কৰা নাছিল, কিন্তু যেতিয়া জাতিবিলাকে বৰ সঙ্কটত যুদ্ধ কৰে, তেতিয়া তেওঁলোকে এনে সৰুসুৰা কথালৈ নাইবা আগেয়ে দিয়া প্ৰতিশ্ৰুতিলৈ প্ৰায় মন নকৰে। জাৰ্মাণ চৰকাৰে তেওঁলোকৰ সৈন্যবাহিনীক বেলজিয়ামৰ মাজেদি যাবলৈ দিবলৈ বেলজিয়ামৰ অনুমতি খুজিছিল। এনে অনুমতি স্বাভাৱিকতে খণ্ডেৰে নামঞ্জুৰ কৰা হৈছিল।

বেলজিয়ামৰ নিৰপেক্ষতা ভঙ্গ কৰাৰ কাৰণে ইংলেণ্ড আৰু আন আন দেশতো ভীষণ চিঞৰ-বাখৰ হৈছিল আৰু ইংলেণ্ডে এইটোকে জাৰ্মাণীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ মূল কাৰণ কৰিছিল। প্ৰকৃততে ইংলেণ্ডৰ বাহুনি বহুকালৰ আগতে স্থিৰ কৰা হৈছিল আৰু বেলজিয়ামৰ প্ৰশ্নটো এটা সুবিধাজনক অজুহাত স্বৰূপে আহিছিল। এতিয়া জানিব পৰা গৈছে যে ফৰাচী সৈন্যবাহিনী আৱশ্যক বুলি বিবেচনা কৰিলে জাৰ্মাণীক আক্ৰমণ কৰিবলৈ বেলজিয়ামৰ মাজেদি যোৱাৰ পৰিকল্পনা যুদ্ধ লগাৰ আগৰ বছৰকেইটাত কৰিছিল। যি কি নহওক, ইংলেণ্ডে নিজক ন্যায় আৰু সত্যৰ শ্ৰেষ্ঠ প্ৰতিপালক আৰু সৰু জাতিবিলাকৰ ৰক্ষক কাৰণে যুঁজা জাতি বুলি দেখুৱাইছিল আৰু জাৰ্মাণীৰ বিৰুদ্ধে কৈছিল যে সেই দেশে নিজৰ গভীৰ প্ৰতিশ্ৰুতি আৰু সন্ধিবিলাক 'কাগজৰ টুকুৰা' মাথোন বুলি বিবেচনা

কৰিছিল। ৪ আগষ্টৰ দুপৰ ৰাতি ইংলেণ্ডে জাৰ্মাণীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। কিন্তু কিবা দুৰ্ঘটনা হলে নিবাৰণৰ অৰ্থে এদিনৰ আগতে 'ক্ষিপ্ৰগামী বৃটিছ বাহিনী' নামৰ সৈন্যবাহিনীটো গোপনে ইংলিছ প্ৰণালী পাৰ কৰি পঠিয়াইছিল। এইদৰে ইংলেণ্ডে যুদ্ধত যোগ দিবনে নিদিয়ে এই প্ৰশ্নটো অনিশ্চিত হৈ আছিল বুলি পৃথিৱীয়ে ভাবি থাকোঁতেই বৃটিছৰ সৈন্যদলবিলাক তাৰ আগতে য়ুৰোপৰ প্ৰধান ভূমিভাগ পাইছিলগৈ।

এইদৰে অষ্ট্ৰিয়া, ৰুচিয়া, জাৰ্মাণী, ফ্ৰান্স, ইংলেণ্ড এই আটাইকেইখন দেশ যুদ্ধত জড়িত হৈছিল আৰু যি ক্ষুদ্ৰ চাৰ্বিয়া আংশিকভাৱে এই যুদ্ধৰ সদ্য কাৰণ হৈছিল, সেই দেশো অৱশ্যে ইয়াত জড়িত হৈছিল। জাৰ্মাণী আৰু অষ্ট্ৰিয়াৰ মিত্ৰ ইটালীয়ে কি কৰিছিল? আঁতৰি থাকি ইটালীয়ে চাই আছিল কোনটো পক্ষত সুযোগ আছিল। কোন কালে যোগ দিলে লাভ হব তাৰ কথা সেই দেশে ভাবিছিল, আৰু অৱশেষত ছমাহৰ পাছত সেই দেশৰ পুৰণি মিত্ৰৰ বিৰুদ্ধে ইংৰাজ, ফ্ৰান্সী আৰু ৰুচবিলাকৰ পক্ষত যোগ দিছিল।

এইদৰে ১৯১৪ খ্ৰীঃৰ আগষ্ট মাহৰ প্ৰথম ভাগৰ দিনবিলাকত য়ুৰোপত সৈন্যবাহিনীৰ সংগ্ৰহ আৰু যুদ্ধযাত্ৰা দেখা গৈছিল। এই সৈন্যবাহিনীবিলাক কেনে আছিল? প্ৰাচীন কালত বহুত সংখ্যাৰ ব্যৱসায়ী সৈনিকৰদ্বাৰা সৈন্য-বাহিনী গঠিত হৈছিল। সেইবিলাক স্থায়ী সৈন্যবাহিনী আছিল। পিছে ফৰাচী বিপ্লৱে এটা ডাঙৰ পৰিবৰ্ত্তন সাধিছিল। যেতিয়া বিপ্লৱটো বিদেশী আক্ৰমণৰ কবলত পৰিছিল, তেতিয়া বহুত সাধাৰণ নাগৰিকক সৈন্যবিভাগত ভৰ্তি কৰি তেওঁলোকক প্ৰশিক্ষিত কৰা হৈছিল। সেই সময়ৰপৰা তাৰ পৰৱৰ্ত্তী কালত য়ুৰোপত সীমাবদ্ধ সংখ্যাৰ স্বেচ্ছাসেৱকৰ ব্যৱসায়ী সৈন্যবাহিনীৰ সলনি বাধ্যতামূলক ভাৱে সৈন্যবাহিনী গঠিত কৰাৰ প্ৰবৃত্তি হৈছিল। এইদৰে ফৰাচী বিপ্লৱে শাৰীৰিক সামৰ্থ্য থকা সকলো পুৰুষক সাৰ্বজনীন সামৰিক বাবে বাধ্য কৰিছিল। য়ুৰোপৰ প্ৰধান ভূমিভাগৰ সকলো ভাগতে ই বিস্তৃত হৈছিল, এইবিলাক অঞ্চলত প্ৰত্যেকজন যুৱকে দুবছৰ বা ততোধিক কাল শিবিৰত সামৰিক প্ৰশিক্ষণ লব লাগিছিল আৰু পিছত যেতিয়া যুদ্ধ কৰিবলৈ মতা হৈছিল, তেতিয়া তেওঁলোকক যুদ্ধ কৰিবলৈ বাধ্য কৰা হৈছিল। এইদৰে যুদ্ধক্ষেত্ৰত যুদ্ধ কৰা সৈন্যবাহিনী এটাই স্বৰূপতে জাতিটোৰ সকলো যুৱকক বুজাইছিল। ফ্ৰান্স, জাৰ্মাণী, অষ্ট্ৰিয়া আৰু ৰুচিয়াত এনে আছিল আৰু এই দেশকেইখনত আদেশ দি যুদ্ধ কৰিবলৈ সৈন্য গোটোৱাৰ অৰ্থ হৈছিল এই যুৱকবিলাকক দূৰৈৰ চহৰ আৰু গাওঁবিলাকৰপৰা আদেশ দি মাতি অনা। যুদ্ধখন আৰম্ভ হোৱা কালত ইংলেণ্ডত এই প্ৰকাৰৰ সাৰ্বজনীন সামৰিক সেৱা নাছিল। সেই দেশে নিজৰ শক্তিশালী সৈন্যবাহিনীত আস্থা ৰাখি স্বেচ্ছাসেৱকৰ আপেক্ষিকভাৱে সৰু এটা সৈন্যবাহিনী ৰাখিছিল। পিছে যুদ্ধ চলি থকা কালত সেই দেশেও আন কেইখন দেশৰ পদ্ধতি মানি বাধ্যতামূলক সামৰিক সেৱা চলাইছিল।

এই সাৰ্বজনীন সামৰিক সেৱাই বুজাইছিল যে সমগ্ৰ জাতিটো যুদ্ধৰত আছিল। যুদ্ধ কৰিবলৈ সৈন্য মাতি গোটোৱাৰ আদেশৰ প্ৰভাৱ সকলো চহৰ, গাঁও আৰু

সকলো পৰিয়ালতে পৰিছিল। আগষ্ট মাহৰ প্ৰথম কেইদিনত য়ুৰোপৰ সৰহীয়া ভাগত হঠাৎ জীৱন প্ৰবাহ নিঃস্পন্দ হৈছিল আৰু লাখ লাখ যুৱকে পুনৰ ৰণলৈ উলটি নাহিবলৈ ঘৰ এৰিছিল। সকলো ঠাইতে সৈন্যদলৰ পৰিচালনা, তেওঁলোকৰ খোজৰ গোৰোহনি, তেওঁলোকক জনোৱা হৰ্ষধ্বনি, উত্তপ্ত দেশপ্ৰেমৰ বিস্ময়কৰ প্ৰকাশ আৰু অন্তৰৰ অতি উগ্ৰ অনুভূতিবিলাকৰ নিৰোধ হৈছিল আৰু লগতে কিছু পৰিমাণে প্ৰফুল্লভাৱো ভাব লৈছিল, কাৰণ তেতিয়া পিছৰ বছৰবিলাকত হোৱা ভয়ঙ্কৰ ঘটনাবিলাকৰ কথা উপলব্ধি কৰা নহৈছিল।

এই তীব্ৰ দেশপ্ৰেমে সকলোকে উটুৱাই নিছিল। যি সমাজবাদীবিলাকে আগেয়ে ইমান উচ্চৈস্বৰে আন্তৰ্জাতিকতাবাদৰ কথা কৈছিল, যি মাৰ্ক্সবাদীবিলাকে আগেয়ে পৃথিৱীৰ বনুৱাবিলাকক উমৈহতীয়া শত্ৰু পুঁজিবাদৰ বিৰুদ্ধে ঐক্যবদ্ধাবলৈ আহ্বান কৰিছিল, তেওঁলোক সকলোৱে আগৰ মত এৰি উগ্ৰ দেশপ্ৰেমী স্বৰূপে এই পুঁজিবাদীৰ যুদ্ধত যোগ দিছিল। অলপমান মানুহে নিজৰ মত নেৰিছিল। কিন্তু তেওঁলোকক ঘিণ কৰা হৈছিল আৰু অভিশাপ দিয়া হৈছিল। সৰহ ভাগ মানুহ শত্ৰুৰ প্ৰতি ঘৃণাত উন্মত্ত হৈছিল। একালে ইংৰাজ বনুৱাই জাৰ্মাণ বনুৱাক হত্যা কৰিছিল, আন কালে দুয়োখন দেশৰ আৰু যুদ্ধত লিপ্ত থকা আন আন দেশৰ বিদ্বান লোক, বৈজ্ঞানিক আৰু অধ্যাপকসকলৰ ভিতৰত গালি-শপনি চলিব ধৰিছিল আৰু এখন দেশৰ বিষয়ে ওলোৱা অতি ভয়ঙ্কৰ কাহিনীবিলাকত আনখন দেশে বিশ্বাস কৰিছিল।

এইদৰে যুদ্ধখন লগাৰ লগে লগে উনবিংশ শতাব্দীৰ অসাধাৰণ যুগটোৰ অন্ত পৰিছিল। গাম্ভীৰ্যপূৰ্ণ আৰু শান্তভাৱে বৈ থকা পশ্চিমীয়া সভ্যতাৰ নৈ খনক যুদ্ধৰ চাকনৈয়াই হঠাৎ গিলি পেলাইছিল। পুৰণি পৃথিৱীখনৰ চিৰদিনৰ কাৰণে অন্ত পৰিছিল। চাৰি বছৰতকৈও অধিক কালৰ পাছত সেই চাকনৈয়াৰ পৰা পুনৰ কিবা এটাৰ উদ্ভৱ হৈছিল।

১৪৭
যুদ্ধখনৰ আগমুহূৰ্তত ভাৰতবৰ্ষ

২৯ মাৰ্চ, ১৯৩৩

ভাৰতবৰ্ষৰ বিষয়ে মই আগতে লেখাৰ পৰা এতিয়া বহুত দিন হ'ল। এই বিষয়টোলৈ পুনৰ আহি যুদ্ধৰ কালছোৱাৰ আগ মুহূৰ্তত ভাৰতবৰ্ষ কেনে অৱস্থাত আছিল সেই বিষয়ে তোমাক কবলৈ মোৰ মন গৈছে। এই মন যোৱা কামটো কৰিবলৈ মই স্থিৰ কৰিছোঁ।

কেইবাখনো দীঘলীয়া চিঠিত আমি উনবিংশ শতাব্দীৰ ভাৰতীয় জীৱনৰ কিছুমান কাল আৰু ভাৰতবৰ্ষত বৃটিছ শাসনৰ বিষয়ে আগতে আলোচনা কৰিছোঁ। দেখা গৈছে যে ভাৰতবৰ্ষত বৃটিছৰ আধিপত্য সুদৃঢ় কৰা আৰু লগে লগে দেশখন শোষণ কৰাই এই যুগৰ প্ৰধান বৈশিষ্ট্য আছিল। সামৰিক, বেসামৰিক আৰু বাণিজ্যিক—এই তিনিবিধ অধিকাৰ বাহাল ৰখা বাহিনীৰে ভাৰতবৰ্ষ দমন কৰি ৰখা হৈছিল। বৃটিছ সামৰিক বাহিনীটো আৰু বৃটিছৰ অধীনত বেতনৰ লোভত সৈনিক হোৱা ভাৰতীয় সৈনিকৰ বাহিনীটো দেখদেখকৈ অধিকাৰ বাহাল ৰখা বিদেশী সৈন্যবাহিনী আছিল। কিন্তু তাতোকৈ বেছি পৰাক্ৰমী আধিপত্য চলাই-ছিল বে-সামৰিক বেতনভোগী বিষয়াৰ সেৱাটোৱে, ই আছিল দায়িত্বহীন আৰু অতি বেছি মাত্ৰাত কেন্দ্ৰীকৃত আমোলাতন্ত্ৰ, এই দুটা বাহিনীয়ে তৃতীয় বাণিজ্যিক বাহিনীটো সমৰ্থন কৰিছিল আৰু ই আটাইকেইটাৰ ভিতৰত অতি বেছিকৈ মাৰাত্মক আছিল, কাৰণ ইয়েই নাইবা ইয়াৰ কাৰণেই অতি বেছি ভাগ শোষণ কৰিছিল আৰু আন দুটা বাহিনীৰ শোষণৰ ৰীতি-নীতিবোৰ যিমান দেখ্‌দেখ্‌ আছিল, ইয়াৰ সিমান নাছিল। প্ৰকৃততে বহুকাললৈকে প্ৰধান ভাৰতীয় লোকসকলে প্ৰথম দুটা বাহিনীৰ বিৰুদ্ধে বৰ বেছিকৈ ওজৰ-আপত্তি কৰিছিল, কিন্তু তৃতীয়টোত সমানে প্ৰাধান্য দিয়া দেখা নগৈছিল আৰু এতিয়াও কিছু পৰিমাণে তেওঁলোকে তেনে কৰা যেন লাগে।

ভাৰতবৰ্ষত বৃটিছ নীতিৰ এটা অবিৰত লক্ষ্য আছিল ন্যস্ত স্বাৰ্থৰ সৃষ্টি কৰা, এনে ন্যস্ত স্বাৰ্থ তেওঁলোকৰে সৃষ্টি কাৰণে সেইবিলাক তেওঁলোকৰ আশ্ৰয়ত নিৰাপদ হৈ থাকে আৰু ভাৰতবৰ্ষত সেইবিলাক তেওঁলোকৰ সহায় হয়। এইদৰে ভাৰতীয় সামন্ত ৰজাবিলাকৰ অৱস্থা টনকিয়াল কৰা হৈছিল আৰু ডাঙৰ ডাঙৰ জমিদাৰ আৰু তালুকদাৰৰ শ্ৰেণী এটা সৃষ্টি কৰা হৈছিল আৰু ধৰ্ম বিষয়ত হস্ত-

ক্ষেপ নকৰা নীতিৰ নামত আনকি সামাজিক ৰক্ষণশীলতাতো উৎসাহ দিয়া হৈছিল। এই সকলোবিলাক ন্যস্ত স্বাৰ্থৰ নিজৰো স্বাৰ্থ আছিল দেশখন শোষণ কৰাত, আৰু স্বৰূপতে এনে শোষণৰপৰাহে সেইবিলাক তিষ্ঠি থাকিব পাৰিছিল। বৃটিছে সৃষ্টি কৰা আটাইতকৈ বৃহৎ ন্যস্ত স্বাৰ্থ আছিল বৃটিছ মুলধনৰ ন্যস্ত স্বাৰ্থ।

লৰ্ড চেলিচ্‌বাৰি নামৰ এজন ইংৰাজ ৰাজনীতিজ্ঞ লোকৰ বিবৃতি এটা সঘনে উদ্ধৃত কৰা হয়, তেওঁ ভাৰত-সচিব আছিল, আৰু বিবৃতিটো ভালকৈ অৰ্থ-প্ৰকাশক কাৰণে মই ইয়াত তোমাক জনাওঁ। ১৮৭৫ খ্ৰীঃত তেওঁ কৈছিল : "যিহেতু ভাৰতবৰ্ষৰ তেজ বাহিৰ কৰিবই লাগিব, সেইদেখি যিবোৰ ঠাইত তেজ বেছিকৈ গোট খাই আছে নাইবা য'ত তেজ যথেষ্ট আছে, সেইবিলাক ঠাইলৈহে তীক্ষ্ণ অস্ত্ৰ চালিত হোৱা উচিত—যিবিলাক ভাগ তেজৰ অভাৱত ইতিমধ্যে নিশকতীয়া হৈছে, সেইবিলাকত অস্ত্ৰ চলোৱা উচিত নহব।"

ভাৰতবৰ্ষত বৃটিছৰ অধিকাৰে আৰু তেওঁলোকে ইয়াত চলোৱা নীতিয়ে বহুত পৰিণামৰ সৃষ্টি কৰিছিল, সেইবিলাকৰ কিছুমান বৃটিছৰ কাৰণে প্ৰীতিকৰ নাছিল। কিন্তু আন কি ব্যক্তিয়েই তেওঁলোকৰ কামৰ সকলোবিলাক পৰিণাম কাচিৎহে নিয়ন্ত্ৰিত কৰিব পাৰে, জাতিবিলাকে তাতকৈ বহুত পৰিমাণে পাৰে। প্ৰায় সঘনে কিছুমান কাৰ্যকলাপৰ পৰিণামবিলাকৰ ভিতৰতে এনে কিছুমান নতুন শক্তি থাকে যি সেই কাৰ্যকলাপবিলাকৰ বিৰোধী হৈ সেইবিলাকৰ বিৰুদ্ধে সংগ্ৰাম কৰি সেইবিলাকক পৰাভূত কৰে। সাম্ৰাজ্যবাদে জাতীয়তাবাদৰ সৃষ্টি কৰে, পুঁজিবাদে কাৰখানাত কাম কৰা বনুৱাৰ শকত শকত জুমৰ সৃষ্টি কৰে, সেইবিলাক ঐক্যবদ্ধ হৈ পুঁজিবাদী মালিকৰ বিৰোধী হয়। আন্দোলন একোটা বন্ধ কৰি জাতি এটাক দমাই ৰাখিবৰ অৰ্থে চৰকাৰৰ দমন নীতি চলোৱা হয়, কিন্তু সঘনে স্বৰূপাৰ্থত এই দমন নীতিয়ে জাতিটোক সবল আৰু দৃঢ়প্ৰতিজ্ঞ কৰি জাতিটোৰ চূড়ান্ত বিজয়ৰ কাৰণে ইয়াক প্ৰস্তুত কৰে।

আমি আগতে জানিব পাৰিছোঁ যে ভাৰতবৰ্ষত বৃটিছৰ উদ্যোগ বিষয়ৰ নীতিৰ ফল হৈছিল দেশখন ক্ৰমে বেছিকৈ গ্ৰাম্যীকৰণ অৰ্থাৎ জীৱিকা নিৰ্বাহৰ আন কোনো উপায় নথকাত বেছি বেছি মানুহ চহৰৰ পৰা গাঁৱলৈ পুনৰ ঘূৰে ঘূৰে যাবলৈ বাধ্য হৈছিল। মাটিৰ ওপৰত ভাৰ বাঢ়িছিল আৰু খেতিয়কবিলাকৰ দখলত থকা মাটি অৰ্থাৎ তেওঁলোকৰ খেতিৰ মাটি বা পথাৰৰ সংখ্যা ক্ৰমে কমি গৈছিল। বায়তৰ সৰহভাগ এনে মাটি অৰ্থনীতিৰ কালৰ পৰা অলাগতিয়াল হৈছিল অৰ্থাৎ সেইবিলাকৰ আয়তন ইমান সৰু আছিল যে সেইবিলাকৰ পৰা খেতিয়কৰ জীৱনৰ আনকি নিতান্ত প্ৰয়োজনীয় বস্তুখিনিৰ কাৰণে লগা সৰ্বনিম্ন আয়ো নহৈছিল। কিন্তু তেওঁলোকৰ আন উপায় নাছিল ; তেওঁলোকে তেনেকৈয়ে মাখোন চলি থাকিব লাগিছিল, সাধাৰণতে তেওঁলোক ক্ৰমে বেছিকৈ ঋণগ্ৰস্ত হৈছিল। বৃটিছ চৰকাৰৰ মাটি বিষয়ৰ নীতিয়ে বিশেষকৈ তালুকদাৰী আৰু বৃহৎ জমিদাৰী চলা অঞ্চলবিলাকত অৱস্থা বেছি বেয়া কৰিছিল। এইবিলাক অঞ্চলত আৰু যিবিলাক অঞ্চলত খেতিয়কক মাটিৰ পৰাজী কৰা নিয়ম চলিছিল, সেইবিলাকতো চৰকাৰৰ বা জমিদাৰৰ খাজনা আদায় নকৰা বাবে খেতিয়কক তেওঁলোকৰ দখলত থকা

মাটিৰপৰা উচ্ছেদ কৰা হৈছিল। ইয়াৰ ফলত আৰু মাটিৰ ওপৰত নতুনকৈ অহা মানুহৰ হেঁচা পৰাৰ কাৰণে গাৰ্হ্যলীয়া অঞ্চলত মাটিহীন বনুৱাৰ এটা ডাঙৰ শ্ৰেণী গঢ়ি উঠিছিল আৰু মই তোমাক আগতে কোৱাৰ দৰে ভয়ঙ্কৰ দুৰ্ভিক্ষ হৈছিল।

মাটিৰপৰা উচ্ছেদিত এই শ্ৰেণীটোৱে খেতিৰ মাটিৰ কাৰণে ধৰকৈ আগ্ৰহ কৰিছিল, কিন্তু বিচাৰি পাবলৈ যথেষ্ট মাটি নাছিল। জমিদাৰী চলা অঞ্চলত এই অনাটনৰ সুযোগ লৈ খাজনা বঢ়োৱা হৈছিল। তলতীয়া ৰায়তক আশ্ৰয় দিবৰ কাৰণে শতকৰা নিৰ্দ্ধাৰিত হাৰতকৈ হঠাৎ খাজনা বঢ়োৱা বন্ধ কৰিবৰ কাৰণে কেইটামান প্ৰজাস্বত্ব আইন কৰা হৈছিল। কিন্তু নানা উপায়েৰে এই আইন-বিলাক অতিক্ৰম কৰি সকলো প্ৰকাৰৰ আইনবিৰুদ্ধ পাওনা ৰায়তৰপৰা আদায় কৰা হৈছিল। অযোধ্যাৰ এটা তালুকদাৰীত পঞ্চাশতকৈও অধিক বেলেগ বেলেগ প্ৰকাৰৰ আইনবিৰুদ্ধ পাওনা আদায় কৰা হৈছিল বুলি শুনিছিলোঁ। এইবিলাকৰ ভিতৰত প্ৰধান আছিল 'নজৰাণা', তলতীয়া ৰায়তে প্ৰথমতে দিয়া ই এক প্ৰকাৰৰ মাননী। দুখীয়া ৰায়তবিলাকে বিভিন্ন প্ৰকাৰৰ এই পাওনা বিলাক কেনে দৰে আদায় কৰিব পাৰে? গাৱঁত ধনৰ লেনদেন চলোৱা 'বনিয়া'ৰ পৰা ধাৰ কৰিহে তেওঁলোকে তেনে কৰিব পাৰিছিল। পৰিশোধ কৰিবৰ যেতিয়া সম্ভাৱনা বা সামৰ্থ্য নেথাকে, তেতিয়া ধাৰ কৰা অবিবেচনাৰ কাম। কিন্তু দুৰ্গতীয়া খেতিয়কবিলাকে কি কৰিব? তেওঁলোকে কোনো কালে আশাৰ সঞ্চাৰ নেদেখে, সকলো দুৰ্যোগ ভুগিবলগীয়া হলেও তেওঁলোকক খেতি কৰিবলৈ মাটি লাগে আৰু আশা নথকা অৱস্থাতো আশা কৰে যে কিবা এটা হব। ইয়াৰ ফল সঘনে এনে হয় যে তেওঁলোকে ধাৰ কৰিও জমিদাৰৰ দাবী পূৰাব নোৱাৰে, তেতিয়া তেওঁলোকক মাটিৰ পৰা উচ্ছেদ কৰা হয় আৰু তেওঁলোকো মাটিহন বনুৱাৰ শ্ৰেণীভুক্ত হয়।

মাটিৰ গৰাকী কৃষক আৰু জমিদাৰৰ অধীনস্থ খেতিয়ক প্ৰজা—এই দুয়ো বিধেই আৰু মাটিহীন বনুৱাবিলাকো 'বনিয়া'ৰ প্ৰবঞ্চনাৰ পাত্ৰ হয়। তেওঁলোক কেতিয়াও ধাৰৰ পৰা মুক্ত হব নোৱাৰে। যেতিয়াই তেওঁলোকে অলপ আৰ্জে, তেতিয়াই আদায় দিয়ে, কিন্তু সুদতে ই যাব যায় আৰু পুৰণি ধাৰটো থাকি যায়। বনিয়াই তেওঁলোকক এইদৰে লুট কৰাত প্ৰায় একো বাধা নাই। পৰি-ণামত তেওঁলোক তেওঁৰ বন্ধা গোলামৰ দৰে আটক হৈ পৰে। জমিদাৰৰ তলতীয়া প্ৰজাবিলাকক এক প্ৰকাৰে দুগুণ গোলাম হয়। জমিদাৰৰ গোলাম আৰু বনিয়াৰ গোলাম।

দেখাদেখিকৈ এনে ৰকমৰ অৱস্থা বৰ বেছি দিন চলি থাকিব নোৱাৰে। এনে এটা সময় আহিব যেতিয়া কৃষকবিলাক জমিদাৰে তেওঁলোকৰ ওপৰত কৰা দাবীবিলাকৰ কোনোটোকে পূৰাবলৈ অসমৰ্থ হব আৰু বনিয়াবিলাক অধিক ধাৰ দিবলৈ অমান্তি হব, তেতিয়া জমিদাৰবিলাকো ডাঙৰ সঙ্কটত পৰিব। পদ্ধতিটো এনে যে অন্ত অতি স্পষ্টভাৱে পতনৰ আৰু অস্থিৰতাৰ উপকৰণ আছে। বৰ্তমান কালত সমগ্ৰ দেশ জুৰি জুৰি বিষয়ৰ বিবিলাক অশান্তি আমাৰ হৈ আছে সেই-

বিলাকে এনে দেখুৱাইছে যে সম্ভৱতঃ পদ্ধতিটোত ভাঙনে ধৰিছে আৰু ই বেছি দিন তিষ্ঠি থাকিব নোৱাৰে।

মোৰ ভয় হৈছে যে আগৰ চিঠি এখনত মই বিৰিলাক কথা অলপ বেলেগ ধৰণে কৈছিলোঁ, এই চিঠিত সেইবিলাকৰে পুনৰুক্তি কৰিছোঁ। কিন্তু তোমাক মই এই কথাটো উপলব্ধি কৰাবলৈ আশা কৰেঁ। যে ভাৰতবৰ্ষৰ অৰ্থ এই লাখ লাখ অসুখীয়া খেতিয়কবিলাকৰ মধ্যবিত্ত শ্ৰেণীটো; বি এমুঠি মানুহে দেশৰ চিত্ৰটো পুৰাই ৰাখিছে, তেওঁলোক নহয়। আমাৰ বহুতেই কথাটো মনত নেৰাখে।

মাটিৰপৰা খেদা খোৱা মাটিহীন বনুৱাৰ ডাঙৰ শ্ৰেণী এটা থকাৰ কাৰণে বৃহৎ কাৰখানা স্থাপন কৰা সহজ হৈছিল। যেতিয়া মজুৰিৰ কাৰণে কাম কৰিবলৈ সাজু থকা মানুহ যথেষ্ট পৰিমাণে (প্ৰকৃততে যথেষ্টতকৈ বেছি পৰিমাণে) থাকে, তেতিয়াহে এনেবিলাক কাৰখানা চলাব পাৰি। বিজন মানুহৰ অকণমানো মাটি থাকে, তেওঁ সেই মাটি এৰি যাব নোখোজে। সেই কাৰণে কাৰখানা চলোৱা পদ্ধতিটোত বহুত সংখ্যাৰ মাটিহীন নিবনুৱাৰ আৱশ্যক হয়, আৰু এনে মানুহ যিমান বেছি হয়, কাৰখানাৰ মালিকবিলাকৰ কাৰণে দামদৰ কৰি মজুৰি কমোৱা আৰু সেইবিলাক মানুহৰ ওপৰত আধিপত্য কৰা সিমান বেছি সহজ হয়।

মই তোমাক আগতে কৈছোঁ বুলি ভাবিছোঁ যে প্ৰায় এই কালতে ভাৰতবৰ্ষত নতুন এটা মধ্যবিত্ত শ্ৰেণীৰ ক্ৰমে উদ্ভৱ হৈছিল আৰু এই শ্ৰেণীটোৱে কাৰবাৰত ধন লগাব পৰাকৈ কিছু পৰিমাণৰ মূলধন সঞ্চয় কৰিছিল। ধনো আছিল, বনুৱাও আছিল, তাৰ ফল স্বৰূপে কাৰখানা হৈছিল। কিন্তু ভাৰতবৰ্ষত কাৰবাৰত লগোৱা অতি সৰহভাগ মূলধন বিদেশী (বৃটিছৰ) আছিল। বৃটিছ চৰকাৰে এইবিলাক কাৰখানাত উৎসাহ নিদিছিল। ইয়াৰ নীতি আছিল ভাৰতবৰ্ষক ইংলেণ্ডৰ কেঁচা মাল যোগোৱা আৰু ইংলেণ্ডৰ উদ্যোগত উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰা সম্পূৰ্ণ কৃষিপ্ৰধান দেশ কৰি ৰখা, কাৰখানাবিলাক সেই নীতিৰ বিৰুদ্ধে গৈছিল। কিন্তু মই ওপৰত দেখুৱাৰ দৰে ভাৰতবৰ্ষৰ অৱস্থা এনে আছিল যে এই দেশত বৃহৎ যন্ত্ৰত উৎপাদন আৰম্ভ কৰিব লগা হৈছিল আৰু বৃটিছ চৰকাৰে সহজতে ইয়াক বন্ধ কৰিব নোৱাৰিছিল। এইদৰে চৰকাৰে অনুমোদন নকৰা সত্বেও কাৰখানা-বিলাকৰ সংবৰ্ধন হৈছিল। অনুমোদন নকৰা কথাটো প্ৰকাশ কৰাৰ এটা প্ৰকাৰ হৈছিল ভাৰতবৰ্ষলৈ অহা যন্ত্ৰপাতিৰ ওপৰত কৰ লগোৱা, আন এটা প্ৰকাৰ আছিল কপাহী কাপোৰৰ কলবিলাকত উৎপাদন কৰা কাপোৰৰ ওপৰত লগোৱা শুল্ক।

প্ৰথম অৱস্থাৰ ভাৰতীয় উদ্যোগপতিবিলাকৰ ভিতৰত আটাইতকৈ শ্ৰেষ্ঠ উদ্যোগপতি আছিল জামচেদজী নচৰোৱানজী টাটা। তেওঁ বহুত উদ্যোগ আৰম্ভ কৰিছিল; এইবিলাকৰ ভিতৰত আটাইতকৈ বেছি বৃহৎ উদ্যোগটো আছিল বিহাৰৰ চাকচিৰ টাটা লোহা আৰু তীখা কোম্পানীটো। ১৯০৭ খ্ৰীঃত ইয়াক আৰম্ভ কৰা হৈছিল আৰু ১৯১২ খ্ৰীঃত ইয়াত উৎপাদন আৰম্ভ হৈছিল। লোহাৰ উদ্যোগ 'মৌলিক উদ্যোগ' নাম পোৱা উদ্যোগবিলাকৰ ভিতৰত এটা। আজিকালি লোহাৰ ওপৰত ইমান বেছিকৈ নিৰ্ভৰ কৰা হয় যে লোহাৰ উদ্যোগ

নথকা দেশ এখন বৰ বেছিকৈ আনৰ ওপৰত নিৰ্ভৰশীল হয়। টাটাৰ লোহাৰ কাৰখানাটো এটা বিৰাট কাৰবাৰ। চকচি গাওঁখন এতিয়া জাম্‌ছেদপুৰ নগৰ হৈছে আৰু তাৰ পৰা অলপ দূৰৈৰ ৰেল ষ্টেচনটোক টাটানগৰ বোলা হয়। যুদ্ধৰ সময়ত লোহাৰ কাৰখানা বিশেষকৈ মূল্যবান; কাৰণ সেইবিলাক যুদ্ধৰ খাৰবাৰুদ উৎপাদন কৰিব পাৰে। যেতিয়া বিশ্বযুদ্ধখন আৰম্ভ হ'ল, তেতিয়া টাটাৰ কাৰখানা থকাটো ভাৰতবৰ্ষৰ বৃটিছ চৰকাৰৰ কাৰণে সৌভাগ্যৰ কথা হৈছিল।

ভাৰতবৰ্ষৰ কাৰখানাবিলাকত বনুৱাৰ অৱস্থা বৰ বেয়া আছিল। এই অৱস্থাটো ১৯শ শতাব্দীৰ আগৰ কালছোৱাত ইংলেণ্ডৰ কাৰখানাবিলাকৰ অৱস্থাৰ লগত একে আছিল। বিৰাট সংখ্যাৰ নিবনুৱা মাটিহীন মানুহ থকাৰ কাৰণে মজুৰি কম আছিল আৰু বহুত বেছি ঘণ্টা কাম কৰিব লাগিছিল। ১৯১১ খ্ৰীঃত প্ৰথম সাধাৰণ ভাৰতীয় কাৰখানা আইনটো কৰা হৈছিল। এই আইনটোৱেও পুৰুষৰ দৈনিক ১২ ঘণ্টা আৰু ল'ৰা-ছোৱালীৰ ৬ ঘণ্টা কাম নিৰ্দ্ধাৰিত কৰিছিল।

এই কাৰখানাবিলাকে সকলোবিলাক মাটিহীন বনুৱাক সামৰি নলৈছিল। তেওঁলোকৰ বহুত সংখ্যাৰ মানুহ অসম আৰু ভাৰতবৰ্ষৰ আন আন ঠাইৰ চাহ বাগিছা আৰু আন খেতিৰ বাগিছালৈ গৈছিল। যি অৱস্থাত এই মানুহবিলাকে সেই বাগিছাবিলাকত কাম কৰিছিল সেই অৱস্থাই তেওঁলোকক তাত থকা কালত নিয়োগকাৰীবিলাকৰ গোলাম কৰিছিল।

কৃষি লক্ষ্যতকৈ অধিক দাৰিদ্ৰ-পীড়িত ভাৰতীয় বনুৱা বিদেশত বসতি কৰিবলৈ উঠি গৈছিল। তেওঁলোকৰ অতি সৰহ ভাগ সিংহল আৰু মালয়ৰ চাহ বাগিছাবিলাকলৈ গৈছিল। বহুত এনে মানুহ মৌৰিচাছ দ্বীপবিলাকলৈ (ভাৰত মহাসাগৰৰ মাডাগাস্কাৰৰ সিফালে), ট্ৰিনিডাডলৈ (দক্ষিণ আমেৰিকাৰ প্ৰায় উত্তৰ কালে), ফিজিলৈ (অষ্ট্ৰেলিয়াৰ ওচৰত), দক্ষিণ-আফ্ৰিকা, পূব আফ্ৰিকা আৰু বৃটিছ গায়েনালৈ (দক্ষিণ আমেৰিকাত) গৈছিল। এই ঠাইবিলাকৰ বহুত ঠাইলৈ তেওঁলোক 'চুক্তিবদ্ধ' বনুৱা স্বৰূপে গৈছিল, স্বৰূপত তাৰ অৰ্থ তেওঁলোক জমিদাৰৰ গোলাম হৈছিল। 'চুক্তি' টো আছিল এখন খত, তাত এই বনুৱাবিলাকৰ লগত কৰা চুক্তিটো আছিল আৰু এই খত মতে তেওঁলোক তেওঁলোকৰ নিয়োগকাৰীবিলাকৰ গোলাম হৈছিল। চুক্তিবদ্ধ পদ্ধতিটোৰ বিষয়ে বহুত ভয়ঙ্কৰ বিৱৰণ বিশেষকৈ ফিজিৰ পৰা ভাৰতবৰ্ষলৈ আহিছিল, সেই কাৰণে ইয়াত এটা আন্দোলন হোৱাত পদ্ধতিটো বন্ধ কৰা হৈছিল।

কৃষক, বনুৱা আৰু আন ঠাইত বসতি কৰিবলৈ উঠি যোৱা মানুহবিলাকৰ বিষয়ে ইমানতে থাওক। এওঁলোক দুখীয়া, নীৰৱ আৰু দীঘলীয়া কাল কষ্ট ভোগা ভাৰতবৰ্ষৰ জনসাধাৰণ। প্ৰকৃততে মাত মাতিব পৰা শ্ৰেণী আছিল নতুন মধ্যবিত্তৰ শ্ৰেণীটো, যথাৰ্থতে বৃটিছৰ লগত হোৱা সম্পৰ্কৰপৰাই ইয়াৰ উৎপত্তি হৈছিল। কিন্তু তেনে হোৱা সত্ত্বেও ই এই সম্পৰ্কটোৰ নিন্দা কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াৰ সংবৰ্দ্ধন হৈছিল আৰু ইয়াৰ লগে লগে জাতীয় আন্দোলনবো উদ্ভৱ হৈছিল আৰু ১৯০৭-৮ চনত এই আন্দোলনে চূড়ান্ত অৱস্থা

পাইছিল, তেতিয়া জনসাধাৰণৰ আন্দোলন এটাই বঙ্গদেশক বিচলিত কৰিছিল আৰু জাতীয় মহাসভা কংগ্ৰেছ উগ্ৰপন্থী আৰু ধীৰপন্থী নামে দুটা দলত বিভক্ত হৈছিল। বৃটিছ চৰকাৰে কম প্ৰাধান্য থকা কেইটামান সংস্কাৰৰে ধীৰপন্থীৰ সমষ্টিটোক তেওঁলোকৰ সমৰ্থক কৰিবলৈ চেষ্টা কৰি প্ৰগতিশীল সমষ্টিটোক সম্পূৰ্ণ দমন কৰাৰ চিৰপ্ৰচলিত নীতিটো চলাইছিল। এই সময়তে দৃশ্যপটত আন এটা নতুন বিষয়ৰো উদ্ভব হৈছিল—সংখ্যাগৰিষ্ঠ স্বৰূপে মুছলিমবিলাকৰ প্ৰতি বেলেগ আৰু বিশেষ আচৰণৰ কাৰণে ৰাজনৈতিক দাবী কৰা হৈছিল। এতিয়া এই কথা ভালকৈ জনা গৈছে যে চৰকাৰে ভাৰতীয় মানুহৰ মাজত বিভাজনৰ সৃষ্টি কৰি এই উপায়েৰে জাতীয়তাবাদৰ সংবৰ্ধনত বাধা দিবৰ এই দাবীত উৎসাহ দিছিল।

সেই সময়ত বৃটিছ চৰকাৰৰ নীতি কৃতকাৰ্য হৈছিল। লোকমান্য তিলক বন্দীশালত আছিল আৰু উগ্ৰৰ দলটো দমন কৰা হৈছিল; ধীৰপন্থীবিলাকে শাসন ব্যৱস্থাত চলোৱা সংস্কাৰবিলাকক (সেই কালৰ ৰাজ-প্ৰতিনিধি আৰু ভাৰত সচিবৰ নাম অনুসাৰে সেই সংস্কাৰবিলাকক মৰ্লে-মিণ্টো সংস্কাৰ বোলা হৈছিল) সৰ্বান্তঃকৰণে গ্ৰহণ কৰিছিল, কিন্তু সেইবিলাকে ভাৰতীয় মানুহক একো ক্ষমতা নিদিছিল। অলপ দিনৰ পাছত বঙ্গদেশৰ বিভাজন ৰদ কৰাত বঙালী ক্ষোভ শান্ত হৈছিল। ১৯০৭ খ্ৰীঃৰ আৰু তাৰ পাছৰ ৰাজনৈতিক আন্দোলনটো পুনৰ আৱাসত ৰাজনীতি আলোচনা কৰা মানুহৰ আজৰি সময়ৰ আমোদজনক কাম হৈছিল সেই কাৰণে ১৯১৪ খ্ৰীঃত যেতিয়া যুদ্ধখন আৰম্ভ হৈছিল; তেতিয়া দেশখনত সতেজ ৰাজনৈতিক কাৰ্যকলাপ প্ৰায় নাছিল। জাতীয় মহাসভা কংগ্ৰেছত অকল ধীৰপন্থীসকল আছিল, তেওঁলোকে বছৰত এবাৰকৈ গোট খাই কেইটামান নীতি-মূলক প্ৰস্তাৱ গ্ৰহণ কৰিছিল, তাৰ বাহিৰে তেওঁলোকে আন একো নকৰিছিল। জাতীয়তাবাদ ক্ষীণ হৈ গৈছিল।

ৰাজনৈতিক ক্ষেত্ৰৰ বাহিৰেও পাশ্চাত্যৰ সম্পৰ্কৰপৰা আন আন প্ৰতিক্ৰিয়া হৈছিল। নতুন মধ্যবিত্তৰ শ্ৰেণীটোৰ (কিন্তু জনসাধাৰণৰ নহয়) ধৰ্ম বিষয়ৰ ভাৱত ইয়াৰ প্ৰভাৱ পৰিছিল, আৰু ব্ৰাহ্ম সমাজ, আৰ্য সমাজৰ দৰে নতুন আন্দো-লনৰ উদ্ভৱ হৈছিল আৰু জাতি বিভাগৰ কঠোৰতা আঁতৰাবলৈ আৰম্ভ কৰিছিল। সাংস্কৃতিক জাগৰণো বিশেষকৈ বঙ্গদেশত হৈছিল। বঙালীলিখকে বঙালী ভাষাটো ভাৰতবৰ্ষৰ আধুনিক ভাষাবিলাকৰ ভিতৰত আটাইতকৈ বেছি সমৃদ্ধিশালী কৰিছিল আৰু বঙ্গদেশে এই যুগৰ আমাৰ দেশৰ এজন অতি শ্ৰেষ্ঠ লোক কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৃষ্টি কৰিছিল, সৌভাগ্যক্ৰমে তেওঁ এতিয়াও আমাৰ মাজত আছে।* বঙ্গ-দেশে শ্ৰেষ্ঠ বৈজ্ঞানিক চাৰ জগদীশচন্দ্ৰ বসু আৰু চাৰ প্ৰফুল্লচন্দ্ৰ ৰায়ৰো সৃষ্টি কৰিছিল। আন দুজন শ্ৰেষ্ঠ বৈজ্ঞানিকৰ নামো মই উল্লেখ কৰা উচিত, তেওঁলোক ৰামানুজন আৰু চাৰ চন্দ্ৰশেখৰ ভেঙ্কট ৰমণ। যি বিজ্ঞান যুৰোপত শ্ৰেষ্ঠত্বৰ মূল আছিল, সেই বিষয়তো ভাৰতবৰ্ষই এইদৰে উৎকৰ্ষতা দেখুৱাইছিল।

* ১৯৪১ চনত কবিগুৰুৰ মৃত্যু হয়।

আন এটা নাম মই ইয়াত উল্লেখ কৰা উচিত হব। সেই নামটো হৈছে উৰ্দ্দু আৰু বিশেষকৈ ফাৰ্চী ভাষাৰ অসাধাৰণ প্ৰতিভাশালী কবি চাৰ মহম্মদ ইক্‌বাল। তেওঁ জাতীয়তাবাদৰ বিষয়ে কিছুমান মনোহৰ কবিতা ৰচিছে। দুৰ্ভাগ্যক্ৰমে পৰৱৰ্ত্তী জীৱনত তেওঁ কবিতা এৰি আন কামত লিপ্ত হৈছিল।

যুদ্ধৰ আগৰ বছৰ কেইটাত যেতিয়া ভাৰতবৰ্ষই ৰাজনীতিৰ ক্ষেত্ৰত নিষ্ক্ৰিয় হৈ আছিল, তেতিয়া সুদূৰ দেশ এখনত ভাৰতবৰ্ষৰ সন্মান ৰক্ষাৰ কাৰণে এটা সাহসী আৰু অপূৰ্ব সংগ্ৰাম চলোৱা দেখা গৈছিল। এই দেশখন আছিল দক্ষিণ আফ্ৰিকা, সেই দেশলৈ বহুত সংখ্যাৰ ভাৰতীয় বনুৱা আৰু কিছুমান বণিক আগতে উঠি গৈছিল। তেওঁলোকক অসংখ্য প্ৰকাৰে অপদস্থ কৰা হৈছিল আৰু তেওঁলোকৰ প্ৰতি অসৎ আচৰণ কৰা হৈছিল, কাৰণ জাতিগত দ্বেষ ভাব উৎকট আছিল। ঘটনাক্ৰমে এজন ভাৰতীয় যুবক ,বাৰিষ্টাৰক গোচৰ এটাত ওকালতি কৰিবলৈ দক্ষিণ আফ্ৰিকালৈ নিয়া হৈছিল। তেওঁ নিজৰ দেশৰ মানুহবিলাকৰ অৱস্থা দেখি তাৰ বাবে মনত অপমান আৰু দুখ পাইছিল। তেওঁ তেওঁলোকক যৎপৰোনাস্তি সহায় কৰিবলৈ সংকল্প কৰিছিল। তেওঁ নিজৰ ব্যৱসায় আৰু সা-সম্পত্তি বৰ্জ্জন কৰি যি উদ্দেশ্যটো সাৱোগত কৰি লৈছিল তাত সম্পূৰ্ণকৈ মনোনিবেশ কৰি বহুত বছৰ নীৰৱে শ্ৰম কৰিছিল। এই লোকজন আছিল মোহন দাস কৰমচাঁদ গান্ধী। আজি ভাৰতবৰ্ষৰ প্ৰতিজন ল'ৰা-ছোৱালীয়ে তেওঁক চিনি পায় আৰু ভাল পায়; কিন্তু সেই কালত দক্ষিণ আফ্ৰিকাৰ বাহিৰত তেওঁ অনাজাত নাছিল। হঠাৎ তেওঁৰ নামটো বিজুলীৰ চমকৰ দৰে তাৰপৰা ভাৰতবৰ্ষলৈ আহিছিল আৰু মানুহে বিস্ময়, প্ৰশংসা আৰু গৌৰৱ প্ৰকাশ কৰি তেওঁৰ বিষয়ে আৰু তেওঁৰ নিৰ্ভীক সংগ্ৰামৰ বিষয়ে কৈছিল। দক্ষিণ আফ্ৰিকাৰ চৰকাৰে তাৰ ভাৰতীয় অধিবাসীবিলাকক আগতকৈও বেছিকৈ অপদস্ত কৰিবলৈ চেষ্টা কৰিছিল আৰু গান্ধীজীৰ নেতৃত্বত তেওঁলোক সেও হবলৈ অমান্তি হৈছিল। এইটো যথেষ্ট আচৰিত কথা। দুখীয়া, নিৰ্য্যাতিত আৰু অজ্ঞ বনুৱা আৰু সৰু-সুৰা বণিকৰ সমষ্টি এটাবে গঠিত সমূহ এটাই স্বদেশৰপৰা বহুত দূৰৈত এনে এটা সাহসী মনোবৃত্তি লৈছিল। তাতোকৈ আচৰিত আছিল তেওঁলোকে অৱলম্বন কৰা পদ্ধতিটো পৃথিৱীৰ যুদ্ধৰীত ৰাজনৈতিক অস্ত্ৰ স্বৰূপে অতি অদ্বিতীয় আছিল। তেতিয়াৰেপৰা আমি ইয়াৰ বিষয়ে অতি সঘনে শুনি আহিছোঁ। ই আছিল গান্ধীজীৰ 'সত্যাগ্ৰহ', তাৰ অৰ্থ সত্যত নেৰানেপেৰাকৈ লাগি থকা। কোনো কোনো সময়ত ইয়াক নিষ্ক্ৰিয় প্ৰতিবোধ বোলা হয়, কিন্তু ই শুদ্ধ অনুবাদ নহয়, ই যথেষ্ট সক্ৰিয়। অহিংসা ইয়াৰ অতি আৱশ্যকীয় অংশ যদিও ই কেৱল অপ্ৰতিবোধেই নহয়। গান্ধীজীয়ে এই অহিংস যুদ্ধৰে ভাৰতবৰ্ষ আৰু দক্ষিণ আফ্ৰিকাক চক্ খুৱাইছিল আৰু ভাৰতবৰ্ষৰ মানুহে জানি গৌৰৱ আৰু আনন্দৰ শিহৰণ অনুভৱ কৰিছিল যে দক্ষিণ আফ্ৰিকাত আমাৰ দেশৰ হাজাৰ হাজাৰ স্ত্ৰী-পুৰুষে নিজে নিজে ইচ্ছা কৰি কাৰাবৰণ কৰিছিল। আমাৰ স্বাধীনতাত আৰু নিজৰ দেশত আমাৰ অকৰ্ম্মণ্যতাত আমি লাজ পাই আছিলোঁ, আৰু আমাৰ নিজৰ মানুহৰ হকে কৰা সাহসী প্ৰত্যাহ্বানৰ এই দৃষ্টান্তই আমাৰ আত্মসন্মান বঢ়াইছিল।

হঠাৎ ভাৰতবৰ্ষত এই বিষয়ৰ সম্পৰ্কত ৰাজনৈতিক জাগৰণ হৈছিল আৰু দক্ষিণ আফ্ৰিকালৈ ধনৰ সোঁত বৈছিল। যেতিয়া গান্ধীজী আৰু দক্ষিণ আফ্ৰিকাৰ চৰকাৰৰ মাজত আপোচ মীমাংসা হৈছিল তেতিয়া সেই সংগ্ৰাম বন্ধ হৈছিল। সেই কালত নিঃসন্দেহে এই সংগ্ৰামত ভাৰতীয় উদ্দেশ্যৰ জয় হৈছিল যদিও ভাৰতীয় মানুহৰ ওপৰত বহুত নিষেধ চলি আছে আৰু সাধাৰণতে ভবা হয় যে দক্ষিণ আফ্ৰিকাৰ চৰকাৰে পুৰণি চুক্তি মানি চলা নাই। বিদেশত থকা ভাৰতীয় মানুহৰ প্ৰশ্নটো এতিয়াও সমাধান নোহোৱাকৈ আছে আৰু ভাৰতবৰ্ষ মুক্ত নোহোৱা-লৈকে ই এনেকৈ থাকিব। ভাৰতীয় মানুহৰ নিজৰ দেশতে যেতিয়া সন্মান নাই, তেতিয়া আন ঠাইত তেওঁলোকে তাক কেনেকৈ পাব ? আৰু যিমানদিনলৈকে আমি আমাৰ নিজৰ দেশত নিজক নিজে সহায় কৰি মুক্তি লাভ কৰাত কৃতকাৰ্য নহওঁ, তিমান দিনলৈকে আমি তেওঁলোকক কেনেকৈ বেছি সহায় কৰিব পাৰিম ?

যুদ্ধখন লগাৰ আগৰ বছৰ কেইটাত ভাৰতবৰ্ষৰ অৱস্থা এনে আছিল। ১৯১১ খ্ৰীষ্টাব্দত যেতিয়া ইটালীয়ে তুৰস্ক আক্ৰমণ কৰিছিল তেতিয়া ভাৰতবৰ্ষত তুৰস্কৰ প্ৰতি বৰ বেছি সহানুভূতি হৈছিল, কাৰণ তুৰস্কক এচিয়াৰ আৰু প্ৰাচ্যৰ এটা শক্তি বুলি বিবেচনা কৰা হৈছিল। আৰু সেই কাৰণেই সেই দেশলৈ সকলো ভাৰতীয় মানুহৰ শুভেচ্ছা আছিল। মুছলিমবিলাকৰ ওপৰত ইয়াৰ প্ৰভাৱ বিশে-ষকৈ পৰিছিল, কাৰণ তুৰস্কৰ চুলতানক তেওঁলোকে খলিফা বা ইচলাম ধৰ্মৰ গুৰিয়াল বুলি বিবেচনা কৰিছিল। সেই কালছোৱাত তুৰস্কৰ চুলতান আব্দুল হামিদে উদ্ভাৱন কৰা সকলো মুছলিম জাতিৰ একতাৰ ভাবটোৰ বিষয়ে অলপ কোৱা মেলা হৈছিল। ১৯১২খ্ৰীঃ আৰু ১৯১৩ খ্ৰীঃৰ বলকান অঞ্চলৰ যুদ্ধবিলাকে ভাৰতীয় মুছলমানবিলাকক আৰু বেছিকৈ উত্তেজিত কৰিছিল আৰু বন্ধুত্বৰ নিদৰ্শন স্বৰূপে যুদ্ধত আহত হোৱা তুৰ্কীসেনা বিলাকক শুশ্ৰূষা কৰিবৰ অৰ্থে 'ৰেড ক্ৰিচেণ্ট মিছন' (ৰঙা কাঁচিজোন শুশ্ৰূষাকাৰীৰ দল) নামৰ চিকিৎসকৰ দল এটা ভাৰত-বৰ্ষৰপৰা গৈছিল।

অলপ দিনৰ পাছতে বিশ্বযুদ্ধ আৰম্ভ হৈছিল আৰু তুৰস্ক ইংৰাজৰ শত্ৰু স্বৰূপে ইয়াত জড়িত হৈছিল। কিন্তু সেই কথাই আমাক যুদ্ধ চলি থকা কাললৈ নিয়ে, সেই কাৰণে মই ইয়ানতে ৰোৱা উচিত হ'ব।

১৪৮

১৯১৪-১৮ খ্ৰীষ্টাব্দৰ যুদ্ধ

৩১ মাৰ্চ, ১৯৩৩

যি যুদ্ধখনক বিশ্বযুদ্ধ বা মহাসমৰ বোলা হয়, যি যুদ্ধই চাৰি বছৰতকৈও অধিক কাল য়ুৰোপত এচিয়া আৰু আফ্ৰিকাৰ কিছুমান ভাগত উৎপাত কৰি লাখ লাখ যুৱকক তেওঁলোকৰ ভৰ যৌৱনতে বিনাশ কৰিছিল, সেই যুদ্ধখনৰ কথা মই কি লেখিম ? যুদ্ধৰ বিষয়ে পৰ্যালোচনা কৰাটো আনন্দদায়ক বিষয় নহয়। ই কুৰুচ ঘটনা, কিন্তু সঘনে ইয়াক প্ৰশংসা কৰি অতিৰঞ্জিত কৰা হয়। আৰু সাধাৰণতে কোৱা হয় যে জুয়ে যেনেকৈ বহুমূলীয়া ধাতুবিলাক নিভাঁজ কৰে, সেইদৰে যুদ্ধই যিবিলাক এলেহুৱা জাতি অনুচিতৰূপে বেছি আৰাম আৰু জীৱনলৈ থকা মোহৰ কাৰণে কোমলমতীয়া আৰু কলুষিত হয়, সেইবিলাকক নিখুঁত আৰু সবল কৰে। উচ্চ সাহস আৰু প্ৰাণস্পৰ্শী ত্যাগৰ দৃষ্টান্ত আমাক দেখুৱা হয় যেন যুদ্ধইহে এই গুণবিলাকৰ সৃষ্টি কৰে।

এই যুদ্ধখনৰ কাৰণ কিছুমানৰ কথা মই আগতে তোমাৰ লগত আলোচনা কৰি চাইছোঁ। : কেনেকৈ পুঁজিবাদী উদ্যোগ-প্ৰধান দেশবিলাকৰ লোভৰ ফলত সাম্ৰাজ্যবাদী শক্তিবিলাকৰ প্ৰতিদ্বন্দ্বিতাৰ ফলত সংঘৰ্ষ অনিবাৰ্য হৈছিল, কেনেকৈ দেশবিলাকৰ প্ৰত্যেকখন দেশৰ উদ্যোগপতিবিলাকে শোষণৰ কাৰণে বেছি বেছিকৈ সুযোগ আৰু অঞ্চল বিচাৰিছিল , কেনেকৈ বিত্তীয় কাৰবাৰ চলোৱা মানুহবিলাকে বেছিকৈ ধন আৰ্জিবলৈ বিচাৰিছিল ; কেনেকৈ অস্ত্ৰ-শস্ত্ৰ উৎপাদনকাৰীবিলাকে বেছিকৈ লাভ কৰিবলৈ বিচাৰিছিল ; এই সকলোবিলাক কথা মই আগতে আলোচনা কৰি চাইছোঁ। এইদৰে এই মানুহবিলাক যুদ্ধত মগ্ন হৈছিল আৰু তেওঁলোকৰ নিৰ্দেশ মতেই আৰু শ্ৰেণীটোৰ প্ৰতিনিধি প্ৰবীণ ৰাজনীতিজ্ঞ মানুহবিলাকৰ নিৰ্দেশমতেই জাতিবিলাকৰ যুৱকবিলাকে পৰস্পৰক বধ কৰিবলৈ প্ৰবল গতিৰে আগুৱাই গৈছিল। এই যুৱকবিলাকৰ বেছি সংখ্যকেই আৰু সংশ্লিষ্ট সকলোবিলাক দেশৰ জনসাধাৰণে যিবিলাক কাৰণত যুদ্ধ হৈছিল, সেইবিলাকৰ বিষয়ে নেজানিছিল। প্ৰকৃততে তেওঁলোকৰ একো স্বাৰ্থ নাছিল আৰু যুদ্ধত জয়েই হওঁক, বা পৰাজয়েই হওঁক, তাৰপৰা তেওঁলোকৰ ক্ষতি হোৱা সুনিশ্চিত আছিল। এইটো ধনী মানুহৰ খেলা আছিল আৰু জনসাধাৰণৰ ধাইকৈ ডেকা জীৱন লৈ এই খেলা কৰা হৈছিল। কিন্তু জনসাধাৰণ যুদ্ধ কৰিবলৈ সাজু নহলে

যুদ্ধ হ'ব নোৱাৰিছিল। তোমাক মই আগতে কোৱাৰ দৰে ইউৰোপৰ ভূবিভাগৰ সকলোবিলাক দেশতে বাধ্যতামূলক সামৰিক সেৱাৰ বিধান চলিছিল, ইংলেণ্ডত যুদ্ধ চলি থাকোতে ইয়াৰ প্ৰচলন হৈছিল। কিন্তু এনে এটা বিষয়ত সকলো মানুহ যদি একে লগে অনিচ্ছুক হয়, তেনেহলে জোৰকৰি সকলো মানুহকে বাধ্য কৰিব নোৱাৰি।

সেই কাৰণে যুদ্ধত লিপ্ত হোৱা সকলোবিলাক জাতিৰ মাজত জনসাধাৰণৰ উৎসাহ আৰু দেশপ্ৰেম লৰালৰিকৈ বঢ়াবৰ কাৰণে ব্যাপক চেষ্টা কৰা হৈছিল। প্ৰত্যেক পক্ষই আনটো পক্ষক 'আক্ৰমণকাৰী' বুলিছিল আৰু আত্মৰক্ষাৰ কাৰণেহে যুঁজৰ ভাও ধৰিছিল। জাৰ্মাণীয়ে কৈছিল যে শত্ৰুৱে এটা বেহুৰে সেই দেশখনক বেঢ়ি ধৰি টেটুত চেপি মাৰিবলৈ চেষ্টা কৰিছিল। ৰুচিয়া আৰু ফ্ৰান্সে সেই দেশখনক আক্ৰমণ কৰাত আগভাগ লৈছিল বুলি জাৰ্মাণীয়ে সেই দুখন দেশক দোষ দিছিল। যি বেলজিয়ামৰ নিৰপেক্ষতা জাৰ্মাণীয়ে নিৰ্লজ্জভাৱে ভঙ্গ কৰিছিল, ইংলণ্ডে সেই সৰু বেলজিয়ামৰ ন্যায়সঙ্গত প্ৰতিৰক্ষাক তেওঁলোকৰ যুদ্ধ কৰাৰ মূল কাৰণ কৰিছিল। যুদ্ধত জড়িত হোৱা সকলোবিলাক দেশেই ন্যায়সঙ্গত ভাব-ভঙ্গী ধৰাৰ ভাও ধৰিছিল আৰু সকলো দোষ শত্ৰুৰ ওপৰত জাপিছিল প্ৰত্যেক জাতিৰ মানুহৰ মনত বিশ্বাস জন্মোৱা হৈছিল যে তেওঁলোকৰ স্বাধীনতা বিপন্ন আৰু তাক ৰক্ষা কৰিবলৈ তেওঁলোকে নিশ্চয়কৈ যুদ্ধ কৰা উচিত। সকলোতে বিশেষকৈ বাতৰি কাকতবিলাকে যুদ্ধৰ এই পৰিৱেশ সৃষ্টি কৰাত ডাঙৰ ভূমিকা লৈছিল; পৰিণামত ইয়াৰ অৰ্থ হৈছিল শত্ৰুপক্ষৰ দেশবিলাকৰ প্ৰতি উৎকট ঘৃণা।

এই তীব্ৰ অনুভূতিৰ বন্যা ইমান প্ৰবল হৈছিল যে ই সকলোবিলাকক উটুৱাই নিছিল। জনসাধাৰণৰ খং তোলা যথেষ্ট সহজ আছিল, কিন্তু প্ৰজ্ঞা আৰু বুদ্ধিবৃত্তি যিবিলাক পুৰুষ-মহিলাৰ শান্ত যিবিলাকৰ নামা প্ৰবৃত্তি আছিল বুলি ভবা হৈছিল তেনে চিন্তাশীল লোক, লিখক, অধ্যাপক, বৈজ্ঞানিক সকলোৱেই যুদ্ধত সাজোৰ খোৱা সকলোবিলাক দেশতে তেওঁলোকৰ মনৰ ভাৰসাম্য হেৰুৱাইছিল আৰু ৰক্তপাত কৰাৰ লালসা আৰু শত্ৰুপক্ষৰ প্ৰতি ঘৃণাৰে তেওঁলোকৰ মন পৰিপূৰ্ণ হৈছিল। ধাৰ্মিক মানুহ ধৰ্ম-যাজকবিলাকক শান্তিকামী বুলি ভবিলেও তেওঁলোকো আনবিলাকৰ দৰে নাইবা আনবিলাকতকৈ বেছিকৈহে ৰক্তপিপাসু হৈছিল। আনকি শান্তিবাদীবিলাক আৰু সমাজবাদীবিলাকো অত্যন্ত উত্তেজিত হৈ তেওঁলোকে নিজৰ নিজৰ নীতি পাহৰি পেলাইছিল। অৱশ্যে সকলো তেনে নহৈছিল। প্ৰত্যেকখন দেশতে অতি অলপীয়া সংখ্যালঘিষ্ঠ মানুহ কোনো কাৰণতে অত্যন্ত উত্তলা হ'বলৈ মান্তি নহৈছিল আৰু যুদ্ধৰ এই অতিপাত উত্তেজনাৰ আঘাত তেওঁলোকে তেওঁলোকৰ গাত লাগিবলৈ নিদিছিল। তেওঁলোকক বিদ্ৰূপ কৰা হৈছিল আৰু কাপুৰুষ বোলা হৈছিল আৰু যুদ্ধৰ কাম কৰিবলৈ অমান্তি হোৱাৰ বাবে তেওঁলোকৰ বহুতক আনকি বন্দীশাললৈ পঠিওৱা হৈছিল। তেওঁলোকৰ কিছুমান আছিল 'কোৱেকাৰ'বিলাকৰ দৰে ধাৰ্মিক লোক, এই লোকসকলৰ বিবেকমতে যুদ্ধলৈ আপত্তি আছে। সাধাৰণতে কোৱা এই কথাটো সঁচা যে আজিকালি যেতিয়া যুদ্ধ আৰম্ভ হয়, তেতিয়া তাত সাজোৰ খোৱা মানুহবিলাক বলিয়া হয়।


য়ুৰোপ ১৯১৮
মস্কো
চো ভি য়ে ট
ব্ৰেষ্ট
লিটোভস্ক
ই উ ক্ৰে ন
জা ৰ্মা নী
অ ষ্ট্ৰি য়া
ৰুমানিয়া
বুলগেৰিয়া
চেলোনিকা
তু ৰ স্ক
বাগদাদ
প্যালেষ্টাইন
ফ্ৰা ন্স
ই
টা
লী
শান্তি চুক্তিৰ পূৰ্বে
মিত্ৰশক্তি অধিকৃত
ভূখণ্ড

যুদ্ধ আৰম্ভ হোৱা মাত্ৰকে বিভিন্ন দেশৰ চৰকাৰবিলাকে ইয়াক সত্য গোপন কৰাৰ আৰু সকলো প্ৰকাৰৰ মিছা কথা প্ৰচাৰ কৰাৰ অজুহাত কৰি লৈছিল। মানুহবিলাকৰ ব্যক্তি স্বাধীনতাও দমন কৰা হৈছিল। অৱশ্যে আন কালটো সম্পূৰ্ণ অদৃশ্য কৰি ৰখা হৈছিল। সেই কাৰণে মানুহবিলাকে ঘটনাবিলাকৰ এটা ফাল মাথো জানিব পাৰিছিল। আৰু তাৰো অত্যন্ত বিকৃত আৰু সঘনে যোকোট মিছা বিৱৰণহে পাব পাৰিছিল। মানুহবিলাকক এইদৰে ভুল ধাৰণা দিয়া টান নাছিল।

শান্তিৰ কালতে সঙ্কীৰ্ণ জাতীয়তাবাদী প্ৰচাৰকাৰ্য আৰু বাতৰি কাকতৰ বিকৃত বাতৰিয়ে আগতে মানুহবিলাকক ভুল ধাৰণা দি যুদ্ধৰ উপযোগী ক্ষেত্ৰ তৈয়াৰ কৰিছিল। যুদ্ধক সমস্যামণ্ডিত কৰা হৈছিল। জাৰ্মাণীত বা বৰং প্ৰুচিয়াত যুদ্ধৰ সমস্যা এইদৰে কীৰ্ত্তন কৰাটো কেইজাৰৰপৰা আৰম্ভ কৰি তলৰ সকলো শাসনবৰ্গৰ সুনিশ্চিত দৰ্শন হৈছিল। ইয়াক নায্য বুলি প্ৰমাণ কৰিবৰ অৰ্থে আৰু যুদ্ধ 'প্ৰাণী বিজ্ঞান মতে আৱশ্যক'—অৰ্থাৎ মানুহৰ জীৱন আৰু প্ৰগতিৰ কাৰণেই আৱশ্যকীয় —এই কথাটো প্ৰমাণ কৰিবৰ অৰ্থে জ্ঞানগৰ্ভ কিতাপ লিখা হৈছিল। কেইজাৰৰ নাম বৰকৈ জাহিৰ হৈছিল, কাৰণ তেওঁ সদায় অতি বেছিকৈ আৰু বৰ অভদ্ৰাকৈ নিজক আগশাৰীত ৰাখিছিল। কিন্তু ইংলেণ্ড আৰু আন আন দেশবিলাকতো সেই একে ৰকমৰ ভাববিলাক সামৰিক মহলত আৰু উচ্চ শ্ৰেণীৰ মানুহৰ মহলত সদৰিকৈ প্ৰচলিত হৈছিল। ১৯ শ শতাব্দীৰ ইংলেণ্ডৰ শ্ৰেষ্ঠ লেখকসকলৰ ভিতৰত ৰাস্কিনো এজন। তেওঁ গান্ধীজীৰ প্ৰিয় গ্ৰন্থকাৰ আৰু সম্ভৱতঃ তুমিও তেওঁৰ কোনো কোনো কিতাপ পঢ়িছা। নিঃসন্দেহে মানসিক মহত্ব থকা এই লোকজনে তেওঁৰ এখন কিতাপত লিখিছে :

"চমুকৈ ক'বলৈ হলে মই বুজি পাইছোঁ যে সকলোবিলাক মহৎ জাতিয়ে যুদ্ধত তেওঁলোকৰ কথাৰ সত্যতা আৰু চিন্তাৰ দৃঢ়তাৰ কথা শিকাইছিল আৰু শান্তিয়ে তেওঁলোকক ঠগিছিল ; যুদ্ধই প্ৰশিক্ষণ দিছিল আৰু শান্তিয়ে প্ৰতাৰিত কৰিছিল ; মুঠতে ক'বলৈ গলে, যুদ্ধত তেওঁলোকৰ জন্ম হৈছিল আৰু শান্তিত তেওঁলোকৰ মৃত্যু হৈছিল।"

ৰাস্কিন কেনে স্পষ্টবাদী, সাম্ৰাজ্যবাদী আছিল তাক দেখুৱাবলৈ তেওঁৰ লেখাৰপৰা মই আন এটা উদ্ধৃতি দিওঁ :

"এই দেশে (ইংলণ্ডে) যিটো নিশ্চয়কৈ কৰিব লাগিব আৰু যিটো নকৰিলে এই দেশৰ বিনাশ হ'ব, সেইটো হৈছে এই : এই দেশে নিশ্চয়কৈ উপনিবেশ স্থাপন কৰিব লাগিব, লাভজনক অনাবাদী যি যি ভূমিতে এই দেশে ভৰি দিয়ে, সেইবিলাকৰ প্ৰত্যেকখণ্ডতে অধিকাৰ কৰিব লাগিব আৰু সেইবিলাক ঠাইত এই দেশৰ উপনিবেশকাৰীবিলাকক শিকাব লাগিব যে তেওঁলোকৰ প্ৰথম লক্ষ্য হৈছে স্থলভাগত আৰু সাগৰত ইংলেণ্ডৰ ক্ষমতা বৃদ্ধি কৰা।"

আৰু আন এটা উদ্ধৃতি দিওঁ। এইটো এজন ইংৰাজ সামৰিক বিষয়াই লিখা কিতাপৰপৰা দিয়া হৈছে ; বিষয়াজন বৃটিছ সৈন্য বাহিনীত 'মেজৰ জেনেৰেল' হৈছিল। তেওঁ দেখুৱাইছে যে, "ইচ্ছা কৰি উলিওৱা মিছা কথা

নোকোৱাকৈ, মিছা দৃশ্যৰ অভিনয় নকৰাকৈ নাইবা চালিয়াতি নকৰাকৈ" যুদ্ধত জয়লাভ কৰা প্ৰায় অসম্ভৱ। তেওঁৰ মতে বিজন নগৰিক "এইবিলাক উপায় অৱলম্বন কৰিবলৈ অমান্তি হয় তেওঁ ইচ্ছা কৰি তেওঁৰ সহকৰ্মী আৰু তলতীয়া কৰ্মচাৰীৰ প্ৰতি বিশ্বাসঘাতকৰ কাম কৰে" আৰু তেওঁক "অতি ঘৃণনীয় কাপুৰুষ আখ্যাহে দিব পৰা হয়।" যেতিয়া মহৎ জাতিবিলাকৰ ভৱিষ্যৎ বিপন্ন হয়, তেতিয়া সেইবিলাক জাতিৰ কাৰণে নৈতিকতা, অনৈতিকতা—এইবিলাকৰ মূল্য কি? জাতি এটাই " তাৰ প্ৰতিদ্বন্দ্বিক মৃত্যু ঘটোৱা আঘাত দিব নোৱাৰালৈকে বাৰে বাৰে আঘাত কৰি থাকিব লাগিব।" মই আচৰিত হৈ ভাবো বাস্তিনে এই সকলোবিলাকৰ কাৰণে কি ক'লেহেঁতেন। তুমি অৱশ্যে নেভাবিবা যে এইবিলাক ইংৰাজ বিলাকৰ মনৰ যথোচিত নিদৰ্শন নাইবা কেইজাৰে কোৱা বৰ কথাবোৰে সাধাৰণ জাৰ্মাণৰ মনৰ কথা প্ৰকাশ কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা এইটোহে যে যিবলিাক মানুহে চিন্তা কৰে, তেওঁলোকে সঘনে কতৃত্ব চলাই আৰু যুদ্ধৰ সময়ত প্ৰায় সততে তেওঁলোকৰ প্ৰাধান্য বাঢ়ে।

সাধাৰণতে এনেবিলাক অকপট ঘোষণা সকলোৱে জনাকৈ কৰা নহয় আৰু যুদ্ধক সজাই-পৰাই পৱিত্ৰ কৰি দেখুৱা হয়। সেই কাৰণে যেতিয়া য়ুৰোপৰ আন আন ঠাইত শ শ মাইল জোৱা যুদ্ধক্ষেত্ৰত ভয়ঙ্কৰভাৱে সমূহীয়া হত্যাকাণ্ড চলি আছিল; তেতিয়া দেশৰ ভিতৰত হত্যাকাণ্ডৰ ন্যায্যতা প্ৰমাণ কৰি জনসাধাৰণক ভুৱা দিবৰ কাৰণে সুললিত আৰু চমক লগোৱা ভাষাৰ বাক্য উৎপাদন কৰা হৈছিল। কোৱা হৈছিল যে যুদ্ধখন কৰা হৈছিল স্বাধীনতা আৰু সন্মান ৰক্ষাৰ কাৰণে,"যুদ্ধ অন্ত কৰিবৰ কাৰণে যুদ্ধ" কৰা হৈছিল; গণতন্ত্ৰ নিৰাপদ কৰিবৰ কাৰণে, আত্মনিয়ন্ত্ৰণৰ কাৰণে, সকলো জাতিৰ মুক্তিৰ কাৰণে আৰু আন তেনে কাৰণত যুদ্ধ কৰা হৈছিল। ইতিমধ্যে যিবিলাক বিত্তীয় কাৰবাৰ চলোৱা মানুহে, উদ্যোগপতিয়ে আৰু যুদ্ধৰ সজুলি উৎপাদনকাৰী মানুহে নিজৰ নিজৰ ঘৰত বহি ডেকা মানুহবিলাকক যুদ্ধৰ অগ্নিকুণ্ডত জপিয়াই পৰিবলৈ অনুপ্ৰাণিত কৰিবৰ অৰ্থে দেশপ্ৰেমৰ নামত এই সুললিত কথাবিলাক কৈছিল, বিৰাট পৰিমাণে লাভ কৰি তেওঁলোক কোটিপতি হৈছিল।

মাহৰ পাছত মাহকৈ আৰু বছৰৰ পাছত বছৰকৈ যুদ্ধখন চলি থাকোতে ইয়াত সাঙোৰ খোৱা দেশৰ সংখ্যা ক্ৰমে বেছিহৈ গৈছিল। দুয়োপক্ষে নিৰপেক্ষ দেশবিলাকক গোপনে ভেঁটী বাচি নিজৰ পক্ষলৈ নিবলৈ চেষ্টা কৰিছিল। সকলোৱে জনাকৈ এইদৰে ভেঁটী বচা হলে যিবিলাক মহৎ আদৰ্শৰ সুললিত কথা বজনজনাই কোৱা হৈছিল, সেইবিলাকৰ মূল্য মৰিলহেঁতেন। ভেঁটী খুৱাবলৈ জাৰ্মাণীতকৈ ইংলেণ্ডৰ আৰু ফ্ৰান্সৰ ক্ষমতা বেছি আছিল; সেই কাৰণে যিবিলাক নিৰপেক্ষ দেশে যুদ্ধত যোগ দিছিল, সেইবিলাকৰ অতি সৰহভাগে ইংৰাজ, ফৰাচী আৰু ৰুচৰ পক্ষত যোগ দিছিল। জাৰ্মাণীৰ পুৰণি মিত্ৰ ইটালীৰ লগত এই মিত্ৰ শক্তিকেইটাই গোপনে এটা সন্ধি কৰি সেই দেশক এড্ৰিয়াটাইনৰ আৰু আন আন ঠাইত ৰাজ্য দিবলৈ প্ৰতিশ্ৰুতি দি তেওঁলোকৰ ফলীয়া কৰিছিল। আন এটা গুপ্ত সন্ধিত ৰুচিয়াক কনষ্টাণ্টিনোপল দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। পৃথিৱীখন

তেওঁলোকৰ মাজত ভগাই লোৱা কাৰণটো আনন্দদায়ক কাম আছিল। এই গুপ্ত সন্ধিবিলাক মিত্ৰশক্তিৰ ৰাজনীতি পুৰুষসকলৰ বাজহুৱা বিবৃতিৰ সম্পূৰ্ণ বিৰোধী আছিল কচ বলচেভিকবিলাক ক্ষমতাত অধিষ্ঠিত হোৱাৰ পাছত তেওঁলোকে এইবিলাক সন্ধিৰ কথা প্ৰকাশ নকৰা হলে সম্ভৱতঃ এইবিলাক কথা কোনেও নেজানিলেহেঁতেন।

পেহাস্তৰত বাৰখন কি ততোধিক দেশে মিত্ৰশক্তিৰ পক্ষ লৈছিল (চমুকৈ কবৰ কাৰণে ইংৰাজ আৰু ফৰাচীৰ পক্ষটোক মিত্ৰশক্তি বুলিব)। এই দেশবিলাক আছিল বৃটেন আৰু সেই দেশৰ সাম্ৰাজ্যখন, ফ্ৰান্স, ৰুচিয়া, ইটালী, আমেৰিকা যুক্তৰাজ্য, বেলজিয়াম, চাৰ্বিয়া, জাপান, চীন, ৰুমানিয়া, গ্ৰীচ, আৰু পৰ্তুগাল (আৰু এখন কি দুখন দেশো আছিল হ'ব পাৰে, মোৰ মনত পৰা নাই)। জাৰ্মাণীৰ পক্ষত আছিল জাৰ্মাণী, অষ্ট্ৰীয়া, তুৰস্ক আৰু বুলগেৰিয়া। যুক্তৰাজ্যৰ যুদ্ধৰ তৃতীয় বছৰত যোগ দিছিল। এই দেশখনৰ কথা বাদ দিলেও স্পষ্টকৈ দেখা গৈছিল যে জাৰ্মাণীৰ পক্ষতকৈ মিত্ৰ শক্তিৰ সম্পত্তি বহুত বেছি আছিল, বহুত ধন আছিল, অস্ত্ৰ-শস্ত্ৰ আৰু খাৰ-বাৰুদ উৎপাদন কৰিবলৈ বেছি কাৰখানা আছিল আৰু সৰ্বোপৰি সাগৰত তেওঁলোকৰ আধিপত্য আছিল আৰু সেই কাৰণে নিৰপেক্ষ জাতিবিলাকৰ পৰা তেওঁলোকে সহজে সামগ্ৰী সংগ্ৰহ কৰিব পাৰিছিল। এনেদৰে সামুদ্ৰিক পৰাক্ৰমৰ কাৰণেই মিত্ৰশক্তিয়ে আমেৰিকাৰ পৰা যুদ্ধৰ সামগ্ৰী কিম্বা খাদ্য-বস্ত্ৰ পাব পাৰিছিল নাইবা সেই দেশৰ পৰা ধন ধাৰে লব পাৰিছিল। জাৰ্মাণী আৰু সেই দেশৰ মিত্ৰ শক্তিবিলাক সেইবিলাকৰ সীমালৈকে শত্ৰু দেশৰ দ্বাৰা পৰিবেষ্টিত আছিল ; জাৰ্মাণীৰ মিত্ৰ দেশবিলাক দুৰ্বল আছিল আৰু সেইবিলাকৰপৰা বেছি সহায় পোৱা নহৈছিল। প্ৰায়েই সেইবিলাক জাৰ্মাণীৰ ভাৰ ৰূপ হৈ পৰিছিল আৰু সেইবিলাকক জাৰ্মাণীয়ে চোকা দি ৰাখিব লাগিছিল। এইদৰে স্বৰূপাৰ্থত জাৰ্মাণীয়ে অকলে পৃথিৱীৰ সৰহীয়া ভাগৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। সকলোকালৰপৰা এইখন এখন অসমান সংগ্ৰাম যেন দেখা গৈছিল। তথাপি জাৰ্মাণীয়ে চাৰিবছৰ পৃথিৱীখন আগচি ধৰি আছিল আৰু সেইদেশে যুদ্ধত জয়লাভ কৰাৰ সম্ভৱনা হৈছিল। বছৰৰ পাছত বছৰ যুঁজি জয়লাভ অনিশ্চিত হৈ আছিল। এটা জাতিৰ কাৰণে এই চেষ্টা বিস্ময়কৰ আছিল, জাৰ্মাণীয়ে যি মহা পৰাক্ৰমেৰে সামৰিক যন্ত্ৰ প্ৰতিষ্ঠিত কৰিছিল, তাৰ কাৰণেই এনে চেষ্টা কৰা সম্ভৱপৰ হৈছিল। অন্ততঃ যেতিয়া জাৰ্মাণী আৰু সেই দেশৰ মিত্ৰশক্তিক খাতাংকৈ পৰাস্ত কৰা হৈছিল, তেতিয়াও জাৰ্মাণ সৈন্যবাহিনী নিখুঁত আছিল আৰু ইয়াৰ সৰহভাগ বিদেশত আছিল।

মিত্ৰপক্ষৰ প্ৰধান হৈ চাটো ফৰাচী সৈন্যবাহিনীৰ ওপৰত পৰিছিল আৰু ফৰাচীবিলাকেহে তেওঁলোকৰ ডেকা মানুহবিলাকৰ জীৱন অপৰিমিতভাৱে নাশ হবলৈ দি জাৰ্মাণবিলাকৰ সামৰিক যন্ত্ৰটোৰ প্ৰতিৰোধ কৰিছিল। ইংলেণ্ডৰ নৌবাহিনী আৰু সামুদ্ৰিক পৰাক্ৰম, কূটনীতি আৰু প্ৰচাৰকাৰ্য সেই দেশৰ শ্ৰেষ্ঠ অৱদান আছিল। জাৰ্মাণীয়ে নিজৰ সৈন্যবাহিনীটোৰ কাৰণে গৰ্ব কৰিছিল, কিন্তু নিৰপেক্ষ দেশবিলাকৰ লগত কূটনীতি চলোৱা আৰু প্ৰচাৰকাৰ্য চলোৱা সম্পৰ্কত সেই দেশ

অসাধাৰণভাৱে কেঁচা আছিল। এই কথাত সন্দেহৰ থল নাই যে যুদ্ধ চলি থকা কালত ইংলেণ্ডে মিছা কথা আৰু বিকৃত তথ্যৰ প্ৰচাৰকাৰ্য চলোৱাৰ দক্ষতা আৰু ত্ৰুটীহীন ব্যৱস্থা বিষয়ত আন সকলোবিলাক দেশৰ ওপৰত জয়লাভ কৰিছিল। ৰুচিয়া, ইটালী আৰু আন মিত্ৰ দেশবিলাকে যুদ্ধ চলোৱাত তুলনামূলকভাৱে কম প্ৰাধান্য থকা আৰু নাম নকৰা অংশ গ্ৰহণ কৰিছিল। তথাপি সম্ভৱতঃ সকলোবিলাক দেশৰ ভিতৰত ৰুচিয়াৰ ক্ষতি আটাইতকৈ বেছি হৈছিল। যুক্ত-ৰাজ্যই শেষৰ কালে যুদ্ধত যোগ দি জাৰ্মাণীক সম্পূৰ্ণৰূপে দমন কৰাৰ চূড়ান্ত আৰু নিষ্পত্তিকৰ ভূমিকা লৈছিল।

যুদ্ধখনৰ প্ৰথম কেইমাহত ইংলেণ্ড আৰু আমেৰিকাৰ মনত মানসিক সংঘাত চলিছিল, আনকি সেই দুখন দেশৰ মাজত যুদ্ধ লগোৱাৰ কথাও ওলাইছিল। ইংলেণ্ডে সাগৰত আমেৰিকাৰ জাহাজ চলাচলত হস্তক্ষেপ কৰাৰ কাৰণে এই বিৰোধ হৈছিল, ইংলেণ্ডে সন্দেহ কৰিছিল যে এই জাহাজবিলাকে জাৰ্মাণীলৈ মাল কঢ়িয়াইছিল। কিন্তু লগে লগে বৃটিছৰ প্ৰচাৰকাৰ্য চলোৱা যন্ত্ৰটোৱে ব্যস্ত হৈ আমেৰিকাক তেওঁলোকৰ ফলীয়া কৰিবলৈ বিশেষকৈ চেষ্টা কৰিছিল। নিষ্ঠুৰতাৰে প্ৰচাৰ-কাৰ্যক প্ৰথমে হাতত লোৱা হৈছিল আৰু জাৰ্মাণ সৈন্যবাহিনীয়ে বেলজিয়ামত যি কৰিছিল তাৰ ভয়ঙ্কৰ কাহিনীবিলাক প্ৰচাৰ কৰা হৈছিল। এইবিলাকক জাৰ্মাণ 'হুন' বা 'বছ' বিলাকৰ ভয়ঙ্কৰ ভীতি প্ৰদৰ্শন বোলা হৈছিল। এই কাহিনী-বিলাকৰ কেইটামানৰ, যেনে লুভেইনৰ বিশ্ববিদ্যালয় আৰু পুথিভঁৰাল ধ্বংস কৰাৰ, মূলত বাস্তৱতা আছিল, কিন্তু সৰহভাগ কাহিনী তেনেই সাজি কোৱা আছিল। এটা আচৰিত কাহিনী প্ৰচাৰ কৰা হৈছিল যে জাৰ্মাণবিলাকে মৰাশৰ এটা কাৰ-খানা চলাইছিল ; তথাপি শত্ৰুজাতিবিলাকৰ পৰস্পৰৰ প্ৰতি ঘৃণা ইমান প্ৰবল আছিল যে তেওঁলোকে বিহকে তিহকে বিশ্বাস কৰিছিল।

বৃটিছৰ প্ৰচাৰকাৰ্য কিমান বিৰাট পৰ্যায়ত চলোৱা হৈছিল, সেই বিষয়ে তুমি অলপ ধাৰণা কৰিব পাৰিবা যেতিয়া মই তোমাক কওঁ যে আমেৰিকালৈ বৃটিছে পঠোৱা যুদ্ধৰ 'মিছন' টোত (দৌত্যটোত) পাঁচশ বিষয়া আৰু দহ হেজাৰ সহায়কাৰী আছিল। এইটো চৰকাৰী চেষ্টা আছিল ; ইয়াৰ বাহিৰেও বেচৰ-কাৰীভাৱে বিশাল পৰিমাণৰ কাম কৰা হৈছিল। প্ৰচাৰকাৰ্যৰ কাৰণে সৎ অসৎ সকলোপ্ৰকাৰৰ পদ্ধতি অৱলম্বন কৰা হৈছিল। চুইদিছবিলাকৰ শুভেচ্ছা লাভৰ অৰ্থে বৃটিছে চুইডেনৰ ষ্টকহলমত ইংৰাজী নাচগান আদিৰে বিচিত্ৰ আমোদ দিয়া এক প্ৰকাৰৰ ৰাজহুৱা সঙ্গীতানুষ্ঠান এটা চৰকাৰীভাৱে চলাইছিল।

এই প্ৰচাৰকাৰ্য আৰু জাৰ্মাণবিলাকৰ সাগৰৰ তলেদি চলোৱা জাহাজ 'চাব-মেৰিণৰ' কাৰ্যকলাপবিলাকে আমেৰিকাক মিত্ৰশক্তিৰ পক্ষ লোৱাত বৰ বেছি উদগনি দিছিল। এই চাবমেৰিণবিলাকৰ বিষয়ে পাছত মই তোমাক অলপ কম। কিন্তু শেষান্তৰত নিষ্পত্তি কৰা বিষয়টো আছিল ধন।

যুদ্ধ খৰচী কাম, ভীষণভাৱে ব্যয়বহুল কাম। ই পৰ্বতপ্ৰমাণ মূল্যবান বস্তু গ্ৰাস কৰে আৰু সেইবোৰ দেখুৱাবলৈ মুঠেই ধ্বংসস্তূপ থাকে। ই সম্পত্তি উৎ-

পাদনকাৰী প্ৰায় সকলোবিলাক কাৰ্যকলাপ বন্ধ কৰি মানুহৰ শক্তিক ধ্বংস কৰাত একাগ্ৰভাৱে নিয়োজিত কৰে। এই সকলোবিলাক ধন ক'ৰ পৰা আহিছিল? আৰম্ভণিত মিত্ৰশক্তিৰ পক্ষত মূঠেই ইংলেণ্ড আৰু ফ্ৰান্সক সম্পত্তিশালী বুলি বিবেচনা কৰিব পৰা হৈছিল। সেই দুখন দেশে অকল নিজৰ নিজৰ ভাগৰ যুদ্ধৰ খৰচকে বহন কৰা নাছিল, মিত্ৰ দেশবিলাকক্যো ধন আৰু সামগ্ৰী ধাৰে দি সেইবিলাক দেশৰো খৰচ বহণ কৰিছিল। কিছুকালৰ পাছত পেৰিচ পিচু হুহকি ছিল; ইয়াৰ বিত্তীয় সঙ্গতিৰ অন্ত পৰিছিল। তেতিয়া লণ্ডনে অকলে যুদ্ধত মিত্ৰশক্তিৰ পক্ষৰ সকলো ব্যয় বহন কৰিছিল। যুদ্ধৰ দ্বিতীয় বছৰৰ শেষ হোৱা সময়ত লণ্ডনো পিচ হুহকিছিল। এইদৰে ১৯১৬ খ্ৰীঃৰ শেষৰফালে ফ্ৰান্স, ইংলেণ্ড, দুয়োদেশৰে ধন যোগাব পৰা শক্তিৰ অন্ত পৰিছিল। তেতিয়া বিশিষ্ট ৰাজনীতিজ্ঞ পুৰুষ কিছুমানেৰে গঠিত এটা ইংৰাজ 'মিছন' (দৌত্য) বিত্তীয় সাহায্য ভিক্ষা কৰিবলৈ আমেৰিকালৈ পৈছিল। আমেৰিকা ধন ধাৰে দিবলৈ মান্তি হৈছিল, তেতিয়াৰপৰা আমেৰিকাৰ ধনেৰেহে মিত্ৰশক্তিৰ পক্ষই যুদ্ধ চলাই-ছিল। মিত্ৰশক্তিবিলাকে আমেৰিকাৰপৰা লোৱা ধাৰ বাঢ়িবাৰ নৈ বঢ়াৰ দৰে বাঢ়ি তাৰ সংখ্যা বিস্ময়কৰ হৈছিল, এই ধাৰ বঢ়াৰ লগে লগে যিবিলাক বেঙ্ক আৰু বিত্তীয় কাৰবাৰ চলোৱা মানুহে, সেই ধন ধাৰে দিছিল, তেওঁলোকে মিত্ৰ-শক্তিৰ বিজয়ৰ বিষয়ত ক্ৰমে বেছি আগ্ৰহান্বিত হৈছিল। জাৰ্মাণীয়ে মিত্ৰশক্তিক পৰাস্ত কৰিলে, আমেৰিকাই তেওঁলোকক ধাৰে দিয়া বিৰাট পৰিমাণৰ ধনবিলাকৰ কি গতি হ'ব? আমেৰিকাৰ বেঙ্কৰ মালিকবিলাকৰ ক্ষতিৰ সম্ভাৱনা হৈছিল; সেই কাৰণে তাৰ বিৰুদ্ধে তেওঁলোকৰ মনত প্ৰতিক্ৰিয়া হৈছিল। যুদ্ধখনত আমে-ৰিকাৰ মিত্ৰশক্তিৰ লগত যোগ দিয়াৰ সপেক্ষে ভাব ক্ৰমে বাঢ়িছিল, আৰু শেহান্ত-ৰত আমেৰিকাই তাকেই কৰিছিল।

এতিয়া আমি আমেৰিকাৰ ধাৰৰ প্ৰশ্নটোৰ কথা বৰ বেছিকৈ শুনো আৰু বাতৰি কাকতবিলাক এই বিষয়ৰ কথাৰে ভৰি থাকে। যুদ্ধ চলি থকা কালতে এই ধাৰৰ দ'মটো বদ্ধা হৈছিল, ইংলেণ্ড আৰু ফ্ৰান্সৰ ডিঙিত ই যাঁতৰ শিলটোৰ দৰে ওলমি আছে আৰু দুয়ো দেশে ইয়াক পৰিশোধ কৰিব পৰা নাই। সেই সময়ত যদি এই ধন পোৱা নহ'লহেঁতেন, তেনেহলে দুয়োদেশৰে ধন যোগোৱা শক্তি একেবাৰে নাশ হ'লহেঁতেন, আৰু তেতিয়া সম্ভৱতঃ আমেৰিকাই তেওঁলোকৰ লগত যোগ নিদিলেহেঁতেন।

১৪৯

যুদ্ধখনৰ গতি

১ এপ্রিল, ১৯৩৩

১৯১৪ খ্রীঃৰ আগষ্ট মাহৰ প্ৰথম ভাগত যেতিয়া যুদ্ধখন আৰম্ভ হৈছিল, তেতিয়া পৃথিবীৰ সকলোৱে বেলজিয়াম আৰু ফ্ৰান্সৰ উত্তৰ সীমান্তলৈ চাইছিল। বিৰাট বিৰাট জাৰ্মাণ সৈন্যবাহিনীয়ে তেওঁলোকৰ যাত্ৰা পথত বাধা দিয়া সকলোবিলাক প্ৰতিবন্ধকতা সমূলঞ্চে নাশ কৰি নেৰানেপেৰাকৈ ক্ৰমে আগুৱাই গৈছিল। ক্ষুদ্ৰ বেলজিয়ামে অলপ সময়ৰ কাৰণে বাধা দি ৰাখিছিল; এইবাবে ক্ৰোধান্বিত হৈ তেওঁলোকে সন্ত্ৰাসৰ সৃষ্টি কৰা কামৰদ্বাৰা বেলজিয়ানবিলাকক ভয় খুৱাবলৈ চেষ্টা কৰিছিল আৰু এই কামবিলাকেই মিত্ৰশক্তিয়ে প্ৰচাৰ কৰা নিষ্ঠুৰ অত্যাচাৰৰ কাহিনীবিলাকৰ ভেটা হৈছিল। তেওঁলোকে আগবাঢ়ি পেৰিচৰ ফাললৈ গৈছিল; আৰু তেওঁলোকৰ সন্মুখত ফৰাচী সৈন্যবাহিনী কুচি-মুচি যোৱা যেন দেখা হৈছিল। যুদ্ধখন আৰম্ভ হোৱাৰপৰা এমাহৰ ভিতৰত পেৰিচৰ পতন অনিবাৰ্য যেন দেখা গৈছিল আৰু ফৰাচী চৰকাৰে স্বৰূপাৰ্থত ইয়াৰ কাৰ্যালয়বিলাক আৰু মূল্যবান বস্তুবিলাক দক্ষিণফালে বোৰ্ডো চহৰলৈ নিবলৈ আয়োজন কৰিছিল। কিছুমান জাৰ্মাণে ভাবিছিল যে যুদ্ধত তেওঁলোকে স্বৰূপাৰ্থত জয়লাভ কৰিলে। আগষ্ট মাহৰ শেষত পশ্চিম ৰণাঙ্গনৰ (অৰ্থাৎ ফ্ৰান্সৰ ৰণাঙ্গনত) অৱস্থা এনে আছিল।

ইতিমধ্যে ৰুচ সৈন্যদলৰ কিছুমানে পূব প্ৰুচিয়া আক্ৰমণ কৰিছিল আৰু পশ্চিম ৰণাঙ্গনৰপৰা জাৰ্মাণবিলাকৰ মনোযোগ যেনে তেনে আন ফাললৈ আকৃষ্ট কৰিবলৈ এটা চেষ্টা কৰা হৈছিল। ফ্ৰান্স আৰু ইংলেণ্ডত ৰুচৰ সৈন্যবাহিনীক 'বাষ্পেৰে চলোৱা পিহনা' ('ষ্টীম ৰোলাৰ') বোলা হৈছিল আৰু এই দুই দেশত বৰকৈ আশা কৰা হৈছিল যে এই পিহনা বাৰ্লিনলৈকে বাগৰি আগুৱাই যাব। কিন্তু ৰুচ সৈন্যবিলাকৰ অস্ত্ৰ-শস্ত্ৰ বেয়া আছিল আৰু তেওঁলোকৰ বিষয়াবিলাক সম্পূৰ্ণ অকৰ্মণ্য আছিল আৰু তেওঁলোকৰ পাচত আছিল জাৰৰ দুৰ্নীতিপৰায়ণ চৰকাৰ। জাৰ্মাণবিলাকে হঠাৎ তেওঁলোকৰ ফালে ঘূৰি পূব প্ৰুচিয়াৰ নদবিলাকত আৰু জলাতক অঞ্চলবিলাকত বিৰাট এটা ৰুচ বাহিনীক ফান্দত পেলাই ইয়াক সম্পূৰ্ণ বিনাশ কৰিছিল। জাৰ্মাণীৰ এই ভয়ঙ্কৰ বিজয়ক টাটেনবাৰ্গৰ যুদ্ধ নাম দিয়া হৈছে, এই যুদ্ধৰ লগত সংশ্লিষ্ট থকা সেনাপতিবিলাকৰ ভিতৰত ভন হেণ্ডেনবাৰ্গ এজন আছিল। এওঁ পিছত জাৰ্মাণ গণৰাজ্যৰ ৰাষ্ট্ৰপতি হৈছিল।

এইটো এটা শ্ৰেষ্ঠ বিজয় আছিল, তথাপি পৰোক্ষভাবে ইয়াৰপৰা জাৰ্মাণ

সৈন্যবাহিনীৰ বহুতো ক্ষতি হৈছিল। এই বিজয় লাভ কৰিবৰ অৰ্থে আৰু পূবফালে ৰুচবিলাকৰ অগ্ৰগতিত অলপ ভয় খাই তেওঁলোকে ফ্ৰান্সৰ ফালৰ পৰা কিছুমান সৈন্যদল ৰুচিয়াৰ কাললৈ স্থানান্তৰিত কৰিছিল। এই কাৰণে পশ্চিম ৰণাঙ্গনত কিছুপৰিমাণে হেঁচা কমিছিল আৰু ফৰাচী সৈন্যবাহিনীয়ে আক্ৰমণকাৰী জাৰ্মাণবিলাকক ওফোৰাই ওলোটাই পঠিয়াবলৈ প্ৰাণটাকি এটা চেষ্টা কৰিছিল। ১৯১৪ খ্ৰীঃৰ মাৰ্চ মাহৰ নিচেই আগভাগত মাৰ্ণৰ যুদ্ধত জাৰ্মাণবিলাকক প্ৰায় ৫০ মাইল পিচুৱাই পঠিয়াব পৰা হৈছিল। পেৰিচক ৰক্ষা কৰা হৈছিল আৰু ফৰাচী আৰু ইংৰাজবিলাকে উশাহ লবলৈ অলপ সময় পাইছিল।

জাৰ্মাণবিলাকে আগুৱাই যাবলৈ আন এটা চেষ্টা কৰি প্ৰায় কৃতকাৰ্য হৈছিল, কিন্তু তেওঁলোক আগুৱাই যাব নোৱাৰিলে। তাৰ পাছত দুয়োফালৰ সৈন্যবাহিনী গাঁতৰ ভিতৰত সোমাইছিল আৰু নতুন এক প্ৰকাৰৰ গাঁতৰ ভিতৰৰপৰা কৰা যুদ্ধ আৰম্ভ হৈছিল। ই এক প্ৰকাৰৰ জটিল আৰু অচল ব্যৱস্থা আছিল। তিনিবছৰতকৈও অধিককাল আৰু কিছুপৰিমাণে যুদ্ধৰ প্ৰায় অন্তলৈকে পশ্চিম ৰণাঙ্গনত এই গাঁতৰ ভিতৰৰপৰা কৰা যুদ্ধ চলিছিল। বিৰাট সৈন্যদলবিলাক এন্দুৰৰ দৰে গাঁতৰ ভিতৰত সোমাই থাকি ইদলে সিদলক বিনাশ কৰিবলৈ চেষ্টা কৰিছিল। এই ৰণাঙ্গনত আৰম্ভণিৰপৰা জাৰ্মাণ আৰু ফৰাচী সৈন্যৰ সংখ্যা কেইবা নিযুত আছিল। এই ৰণাঙ্গনত থকা বৃটিছৰ সৰু বাহিনীটো দ্ৰুতগতিৰে বাঢ়ি গৈ পাছত ইয়াকো নিযুতৰ সংখ্যাত গণনা কৰিব পৰা হৈছিল।

পূব ৰণাঙ্গন বা ৰুচ ৰণাঙ্গনত ঘেছিকৈ সৈন্যবিলাকৰ স্থান পৰিবৰ্তন হৈছিল। ৰুচ সৈন্যদলে অষ্ট্ৰিয়ানবিলাকক পৰাস্ত কৰিছিল, কিন্তু তেওঁলোককো জাৰ্মাণবিলাকে সকলো যুদ্ধতে একেৰাহে পৰাস্ত কৰিছিল। এই ৰণাঙ্গনত ক্ষতি আৰু সৈন্য-ক্ষয়ৰ পৰিমাণ আছিল অতি বিশাল। পশ্চিম ৰণাঙ্গনত গাঁতৰ ভিতৰৰ পৰা যুদ্ধ কৰাৰ বাবে তাত ক্ষতি কম হৈছিল বুলি নেভাবিবা। আচৰিতৰকমে মমতা নোহোৱাকৈ মানুহৰ জীৱনৰ প্ৰতি আচৰণ কৰা হৈছিল আৰু গাঁতত সোমাই থকা অৱস্থাতে বাৰে বাৰে আক্ৰমণ কৰি লাখ লাখ মানুহক নিশ্চিত মৃত্যুৰ মুখত পেলোৱা হৈছিল। পিছে তাৰপৰা একো ফল পোৱা ন'হল।

আন বহুতো ৰণাঙ্গন আছিল। তুৰ্কীবিলাকে চুয়েজখাল আক্ৰমণ কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁলোকক খেদি পঠিওৱা হৈছিল। মই তোমাক আগতে কৈছোঁ যে ১৯১৪ খ্ৰীঃৰ ডিচেম্বৰ মাহত মিছৰ বৃটিছৰ আশ্ৰিত ৰাজ্য বুলি ঘোষণা কৰা হৈছিল আৰু লগে লগে বৃটেনে নতুন বিধান সভাখন স্থগিত ৰাখি তেওঁলোকে সন্দেহ কৰা মিছৰীয় মানুহেৰে বন্দীশালবিলাক ভৰাই পেলাইছিল। জাতীয়তাবাদী বাতৰি কাকতবিলাকৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পাঁচজনতকৈ অধিক মানুহ একেলগে গোট খাবলৈ দিয়া নহৈছিল। বাতৰি কাকত আৰু কিতাপ প্ৰকাশত বাধা দিয়াৰ যি বিধান তাত চলোৱা হৈছিল, তাক লণ্ডনৰ 'টাইমচ' নামৰ কাকতখনে 'পাশৱিকভাৱে নিৰ্দয়' বুলি ব্যাখ্যা কৰিছিল। প্ৰকৃততে যুদ্ধ চলি থকা গোটেই কালচোৱাত দেশখন সামৰিক আইনৰ অধীনত আছিল।

বৃটেনে তুৰস্কৰ ছিন্ন-ভিন্ন হোৱা সাম্ৰাজ্যখনৰ বহুত দুৰ্বল অঞ্চলত আক্ৰমণ চলাইছিল : ইৰাকত আৰু পিছত পেলেষ্টাইনত আৰু চিৰিয়াত তেওঁলোকে আক্ৰ-

মণ চলাইছিল। আৰবত বৃটিছে আৰববিলাকৰ জাতীয়ভাৱৰ সুযোগ লৈ তেওঁলো কক ধন আৰু বস্ত্ৰ উদাৰভাৱে ভেঁটী খুৱাই তুৰস্কৰ বিৰুদ্ধে এটা আৰববিদ্ৰোহ সংগ ঠিত কৰিছিল। আৰবত থকা বৃটিছ্ প্ৰতিনিধি কৰ্ণেল টি, ই, লৰেঞ্চ এই বিদ্ৰো- হৰ কাৰণে প্ৰধানকৈ দায়ী আছিল ; পিছত তেওঁ এচিয়াৰ বহুতো আন্দোলনং দৃশ্যপটৰ অন্তৰালৰপৰা কাম কৰি অভেদ্য ৰহস্যৰ মানুহ বুলি যশস্যা লাভ কৰি- ছিল।

কিন্তু তুৰস্কৰ মাজমজিয়াত প্ৰত্যক্ষ আক্ৰমণ হৈছিল ১৯১৫ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত, সেই সময় বৃটিছ্ নৌবাহিনীয়ে দাৰ্দানেলিচ প্ৰণালীত আধিপত্য কৰি তাৰ পৰা কনষ্টাণ্টিনোপল অধিকাৰ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকে এই চেষ্টাত কৃতকাৰ্য হোৱা হলে যুদ্ধত তুৰস্কক অন্ত কৰিব পাৰিলেহেঁতেন, তদুপৰি পশ্চিম এচিয়াত জাৰ্মাণবিলাকৰ প্ৰভাব নাশ কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁলোক বিফল হৈছিল। তুৰ্কীবিলাকে বৰ সাহসেৰে যুদ্ধ কৰিছিল আৰু লক্ষ্য কৰিব- লগীয়া কৌতূহলজনক কথা এই যে মুস্তাফা কামাল পাছাই এই যুদ্ধত শ্ৰেষ্ঠ অংশ গ্ৰহণ কৰিছিল। প্ৰায় এবছৰ বৃটিছে গালিপোলিত এই চেষ্টা চলাই আছিল। বহুত ক্ষতি হোৱাৰ পাছত তেওঁলোক তাৰপৰা আঁতৰি গৈছিল।

মিত্ৰ শক্তিয়ে পশ্চিম আৰু পূব আফ্ৰিকাৰ জাৰ্মাণ উপনিৱেশবিলাকো আক্ৰমণ কৰিছিল। এই উপনিৱেশবিলাক জাৰ্মাণীৰপৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ আছিল আৰু সেইবিলাকে জাৰ্মাণীৰপৰা সহায় পাব নোৱাৰিছিল। ক্ৰমে ক্ৰমে সেইবিলাকৰ পতন হৈছিল। চীনত জাৰ্মাণবিলাকক ভোগ কৰিবলৈ দিয়া ঠাই কিয়াউচাউক জাপানে সহজে অধিকাৰ কৰিছিল। প্ৰকৃততে সেই সময়ছোৱা জাপানৰ কাৰণে বৰ সহজ সময় আছিল, কাৰণ দূৰ প্ৰাচ্যত প্ৰায় একো হোৱা নাছিল। সেই কাৰণে সেই দেশে চীনক ধমক দি আৰু ভয় খুৱাই সেই দেশক সকলো প্ৰকাৰৰ ভোগ দখল আৰু আছুতীয়া স্বত্ব দিবলৈ বাধ্য কৰি নিজৰ অৱস্থা টনকিয়াল কৰিবলৈ চেষ্টা কৰিছিল।

ইটালীয়ে বহুত মাহ যুদ্ধৰ গতি লক্ষ্য কৰি চাই কোন পক্ষৰ জয় হব তাক জানিবলৈ চেষ্টা কৰিছিল। অৱশেষত সেই দেশে সিদ্ধান্ত কৰিছিল যে জয়ৰ সম্ভা- বনা মিত্ৰ শক্তিৰে আছিল, এই সিদ্ধান্ত কৰাৰ পাছত তেওঁলোকক ভেঁটী খাই তেওঁলোকে এটা গুপ্ত চুক্তি কৰিছিল। ১৯১৫ খ্ৰীষ্টাব্দৰ জুলাই মাহত ইটালীয়ে নিয়মমতে যুদ্ধত মিত্ৰশক্তিৰ লগত যোগ দিছিল। দুবছৰ নেৰানেপেৰা ইটালীয়ান আৰু অষ্ট্ৰীয়ানবিলাকে পৰস্পৰৰ বিৰুদ্ধে সংগ্ৰাম চলাই আছিল। কিন্তু তাৰপৰা বেছি ফল পোৱা নহৈছিল। তাৰ পাছত অষ্ট্ৰীয়ানবিলাকক সহায় কৰিবৰ কাৰণে জাৰ্মাণবিলাক যোৱাত তেওঁলোকৰ সহায়ত ইটালীয়ানবিলাকৰ পতন হৈছিল। অষ্ট্ৰীয়া আৰু জাৰ্মাণীৰ সংযুক্ত-বাহিনী ভেনিচৰ প্ৰায় ওচৰ পাইছিল গৈ।

১৯১৫ খ্ৰীঃৰ অক্টোবৰ মাহত বুলগেৰিয়াই জাৰ্মাণীৰ লগত যোগ দিছিল। ইয়াৰ অলপ দিন পাছতে অষ্ট্ৰীয়া আৰু জাৰ্মাণীৰ সংযুক্ত বাহিনীয়ে বুলগেৰিয়াৰ লগত সহযোগ কৰি চাৰ্বিয়াক সম্পূৰ্ণ দমন কৰিছিল। চাৰ্বিয়াৰ শাসনকৰ্ত্তাজনে তেওঁৰ লগত সৈন্যবাহিনীৰ অলপীয়া অৱশিষ্ট ভাগৰে সৈতে দেশ ত্যাগ কৰি মিত্ৰ- শক্তিৰ জাহাজত আশ্ৰয় লৈছিল আৰু চাৰ্বিয়া জাৰ্মাণ শাসনৰ অধীন হৈছিল।

বলকান যুদ্ধত ৰুমানিয়াই দেখুৱা আচৰণৰপৰা সেই দেশে সুবিধাবাদী নাম পাইছিল। দুবছৰ সেই দেশে মহাসমৰখনৰ গতিবিধি লক্ষ্য কৰি চাই আছিল, আৰু অৱশেষত ১৯১৬ খ্রীঃৰ আগষ্ট মাহত মিত্ৰশক্তিৰ লগত যোগ দিছিল। অতি শীঘ্ৰে সেই দেশক শাস্তি দিয়া হৈছিল আৰু জাৰ্মাণ সৈন্যবাহিনীয়ে মহা বিক্ৰমেৰে সেই দেশক আক্ৰমণ কৰি সকলো প্ৰতিৰোধ ধ্বংস কৰিছিল। ৰুমানিয়াও অষ্ট্ৰিয়া আৰু জাৰ্মাণীৰ অধীন হৈছিল।

এইদৰে কেন্দ্ৰস্থদেশ জাৰ্মাণী আৰু অষ্ট্ৰিয়াই বেলজিয়াম ফ্ৰান্সৰ উত্তৰ-পূব ফালৰ একাংশ, পোলেণ্ড, চাৰ্বিয়া আৰু ৰুমানিয়া অধিকাৰ কৰিব পাৰিছিল। বহুত সৰু-সুৰা ৰণাঙ্গনত তেওঁলোকে আগতে জয় লাভ কৰিছিল। কিন্তু যুদ্ধখনৰ মূল কেন্দ্ৰ আছিল পশ্চিম ৰণাঙ্গনত আৰু সাগৰত, আৰু এই দুই ক্ষেত্ৰত তেওঁলোকে উন্নতি কৰিব নোৱাৰিছিল। সেই ৰণাঙ্গনত প্ৰতিদ্বন্দ্বী সৈন্যবাহিনীবিলাক মৃত্যুৰ আলিঙ্গনৰ মাজত আবদ্ধ হৈ আছিল। সাগৰত মিত্ৰশক্তি প্ৰধান আছিল। যুদ্ধৰ প্ৰথম অৱস্থাৰ সময়ত কিছুমান জাৰ্মাণ 'ক্ৰুজাৰ' (দ্ৰুতগামী যুদ্ধ জাহাজ) মিত্ৰ শক্তিৰ জাহাজ চলাচলত বাধা দি সাগৰত ঘূৰি ফুৰিছিল। বিখ্যাত 'এমডেন' নামৰ জাহাজখন এনে এখন জাহাজ আছিল, এই জাহাজে বোমাৰে মাদ্ৰাজো আক্ৰমণ কৰিছিল। কিন্তু শত্ৰুপক্ষৰ মনোযোগ আঁতৰাবলৈ ই এটা নগণ্য কাম আছিল, ইয়াৰপৰা এই কথাটোৰ মূল্য কমা নাছিল যে মিত্ৰ শক্তিয়ে সামুদ্ৰিক পথত আধিপত্য কৰিছিল। আৰু এই আধিপত্যৰ সহায়ত তেওঁলোকে অক্ষ শক্তিৰ খাদ্যবস্তু আৰু আন আন সামগ্ৰী বাহিৰৰপৰা পোৱাৰ পথ বন্ধ কৰিবলৈ আগৰেপৰা চেষ্টা কৰি আছিল। এইদৰে জাৰ্মাণী আৰু অষ্ট্ৰিয়াক বেৰি ধৰি বাট বন্ধ কৰি ৰখা অৱস্থাটোৰ কাৰণে সেই দুখন দেশ কঠোৰ সঙ্কটৰ সন্মুখীন হৈছিল; কাৰণ খাদ্য সামগ্ৰীৰ নাটনি হৈছিল আৰু সমগ্ৰ লোকসংখ্যাৰ অনাহাৰৰ ঘোৰ আশঙ্কা হৈছিল।

আনফালেদি জাৰ্মাণীয়ে সাগৰৰ পানীৰ তলেদি চলোৱা জাহাজ 'চাবমেৰিণে'ৰে মিত্ৰশক্তিৰ জাহাজবিলাক ডুবাবলৈ আৰম্ভ কৰিছিল। এই 'চাবমেৰিণ'ৰ যুদ্ধ এনে কৃতকাৰ্য হৈছিল যে ইংলেণ্ডত খাদ্য সামগ্ৰীৰ যোগান কমিছিল আৰু দুৰ্ভিক্ষৰ বিপদ হোৱাৰ সম্ভাৱনা হৈছিল। ১৯১৫ খ্রীঃৰ মে মাহত জাৰ্মাণ 'চাবমেৰিণ' এখনে ইংৰাজৰ আটলাণ্টিক মহাসাগৰত নিয়মীয়াকৈ চলা বৃহৎ যাত্ৰীবাহী 'লুচিটানিয়া' নামৰ জাহাজখন ডুবাইছিল আৰু তাত থকা বহুত মানুহৰ সাগৰত ডুবি মৃত্যু হৈছিল। তাত থকা বহুতে আমেৰিকানো ডুবিছিল আৰু এইবাবে আমেৰিকাবো খঙে খং উঠিছিল।

জাৰ্মাণীয়ে আকাশেদিও ইংলেণ্ডক আক্ৰমণ কৰিছিল। লণ্ডনত আৰু অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা কাৰখানা থকা আন আন ঠাইত বোমা পেলাবৰ কাৰণে জেপেলিন নামৰ বিৰাট আকাশী জাহাজবিলাক জোনাক নিশা গৈছিল। পিছত বিমানবিলাকে এই বোমা পেলোৱা কাম কৰিছিল; আৰু বিমান উৰাৰ হৰহৰণি শুনি, উৰণীয়া যান ধ্বংসকাৰী বন্দুক মৰা মানুহবিলাক প্ৰাণৰক্ষাৰ কাৰণে দৌৰা-

মুৰাকৈ মাটিৰ তলৰ কোঠালীলৈ আৰু মাটিৰ তলৰ আন আশ্ৰয়স্থানলৈ যোৱা সচৰাচৰ হৈ থকা ঘটনা হৈছিল। বেসামৰিক জনসংখ্যাৰ ওপৰত এইদৰে বোমা পেলোৱাত বৃটিছ মানুহবিলাকৰ বৰকৈ খং উঠিছিল। তেওঁলোকৰ খং উঠা উচিত হৈছিল, কাৰণ ই ভয়ঙ্কৰ ঘটনা। কিন্তু যেতিয়া বৃটিছ বিমানে ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম সীমান্তত আৰু ইৰাকত বোমা পেলাইছিল, তেতিয়া বৃটেনত কাৰো খং নুঠিছিল। ইয়াক পুলিচৰ কাম বোলা হৈছিল। আনকি শান্তিৰ কাল নাম পোৱা কালতো এই কাম কৰা হৈছিল।

এইদৰে এমাহৰ পাছত আন মাহকৈ যুদ্ধ চলি থাকি বন জুয়ে জাকে জাকে কৰিং পুৰি মাৰাৰ দৰে ই মানুহৰ জীৱন নাশ কৰিছিল আৰু ই চলি থকাৰ লগে লগে ক্ৰমে বেছি ধ্বংসকাৰী আৰু পাশৱিক হৈছিল। জাৰ্ম্মাণবিলাকে বিহ 'গেচ'ৰ (ভাপৰ) প্ৰচলন কৰিছিল আৰু শীঘ্ৰে দুয়োপক্ষে ইয়াক ব্যৱহাৰ কৰিছিল। বোমা পেলোৱাত বিমানৰ ব্যৱহাৰ বাঢ়িছিল আৰু তাৰপৰা প্ৰথমতে বৃটিছৰ পক্ষত 'টেঙ্ক' (দুৰ্গৰ দৰে নিৰাপদ কৰা এক প্ৰকাৰ বিৰাট মটৰ গাড়ী) ব্যৱহাৰ কৰা হৈছিল, ই এটা যান্ত্ৰিক দৈত্য, পলুৰ দৰে সকলো বস্তুৰ ওপৰেদি বগাই যায়। ৰণাঙ্গনবিলাকত লাখ লাখ মানুহৰ মৃত্যু হৈছিল; আৰু তেওঁলোকৰ পিছত নিজৰ নিজৰ দেশত থকা তিৰোতা মানুহ ল'ৰা-ছোৱালীবিলাকে ভোকত আৰু অভাৱত কষ্ট ভুগিছিল। বিশেষকৈ জাৰ্ম্মাণী আৰু অষ্ট্ৰিয়াক শত্ৰুৱে ঘেৰি আৱদ্ধ কৰি ৰখাৰ কাৰণে তাত অনাহাৰ ভীষণভাৱে বাঢ়িছিল। ই সহনশক্তিৰ পৰীক্ষা হৈছিল। এই দুৰ্যোৰ পৰীক্ষাত কোন পক্ষৰ ধ্বংসৰ পাছত কোন পক্ষ থাকিব? কোনো এটা পক্ষৰ সৈন্যবাহিনীয়ে আনটো পক্ষৰ সৈন্যবাহিনীক অকামিলা কৰিবনে? মিত্ৰশক্তিয়ে জাৰ্ম্মাণীক ঘেৰি আৱদ্ধ কৰি ৰখাৰপৰা সেই দেশৰ বল ভাগিবনে? নাইবা জাৰ্ম্মাণ 'চাবমেৰিণ'ৰ অভিযানে ইংলেণ্ডক অনাহাৰী কৰি সেই দেশৰ উদ্যম আৰু মনৰ বল নাশ কৰিবনে? প্ৰত্যেকখন দেশতে ত্যাগ আৰু কষ্টৰ এতি বিশাল খতিয়ান আছিল। মানুহে আচৰত হৈ ভাবিছিল—এই সকলোবিলাক ভীষণ ত্যাগ আৰু কষ্ট অনৰ্থক আছিলনে? আমি নিজৰ মৃত-সকলৰ কথা পাহৰি শত্ৰুৰ ওচৰত সেও হ'ব লাগিবনে? যুদ্ধৰ আগৰ দিনবিলাক বহুত অতীতৰ দিন যেন লাগিছিল, আনকি যুদ্ধৰ কাৰণবিলাকৰ কথাও পাহৰা হৈছিল। স্ত্ৰী-পুৰুষ সকলোৰে মন মুঠেই এটা ভাৱেৰে পৰিপূৰ্ণ হৈ আছিল, সেই ভাবটো আছিল প্ৰতিবোধ আৰু বিজয়ৰ বাঞ্ছা।

মৃত বিৰিলাক মানুহে নিজে অতিকৈ মূল্য দিয়া উদ্দেশ্য এটাৰ কাৰণে তেওঁ-লোকৰ প্ৰাণ দিছিল, তেওঁলোকৰ আহ্বানটো এটা ভয়ঙ্কৰ কথা। স্ত্ৰী বা পুৰুষ যাৰ গাত অলপমানো তেজ থাকে, তেওঁলোকৰ কোনে ইয়াক উলঙ্ঘা কৰিব পাৰে? যুদ্ধখনৰ শেষকালৰ বছৰ কেইটাত সকলোতে উৰাদিহ নোপোৱা অৱস্থা চলিছিল আৰু যুদ্ধ চলোৱা দেশবিলাকৰ প্ৰত্যেক ঘৰতে বেজাৰ, ক্লান্তি আৰু বিতৃষ্ণা হৈছিল, তথাপি মানুহবিলাকে অৰিয়াঅৰি ভাব ওপৰলৈ দাঙি ধৰাৰ বাহিৰে আন কি কৰিব পাৰিছিল? বৃটিছ সামৰিক বিষয়া মেজৰ মেক-ক্ৰেই লিখা প্ৰাণস্পৰ্শী কবিতাটো পঢ়ি তুমি উপলব্ধি কৰি চাবলৈ চেষ্টা কৰাচোন যুদ্ধ লাগি থকা

সেই ভয়ঙ্কৰ আৰু বিষাদপূর্ণ দিনবিলাকত তেওঁৰ জাতিৰ যিবিলাক স্ত্রী-পুৰুষে সেই কবিতাটো পঢ়িছিল, তেওঁলোকক ই কেনেদৰে প্রভাবিত কৰিছিল। আৰু মনত ৰাখিবা যে বিভিন্ন দেশত আৰু বহুতো ভাষাত এনে প্রকাৰৰ কবিতা লিখা হৈছিল।

আমি মৃতক। কেইদিনমানৰ আগেয়ে আমি
জীৱিত আছিলোঁ, উষাৰ সৌন্দর্য উপভোগ কৰিছিলোঁ,
বেলি মাৰ যোৱা সময়ৰ জেউতি দেখিছিলোঁ,
আনক ভাল পাইছিলোঁ, আনে আমাক ভাল পাইছিল,
আৰু এতিয়া আমি ফেণ্ডার্চৰ যুদ্ধক্ষেত্রত পৰি আছোঁ।
শত্রুৰ লগত লগা আমাৰ কাজিয়াখনত তোমালোক লাগা;
আমাৰ অৱশ হুৱলৈ ধৰা হাতৰপৰা আৰিয়াডাল
তোমালোকলৈ দলিয়াই দিছোঁ ইয়াক ওপৰলৈ
·দাঙি ধৰিবলৈ ই তোমালোকৰ হওক।
আমি যিবিলাক মৰিছোঁ, আমাৰ লগত যদি
বিশ্বাস ভঙ্গ কৰা, তেনেহ'লে ফেণ্ডার্চৰ যুদ্ধক্ষেত্রত
আফুগছ গজিলেও আমি নুশুম।

১৯১৬ খ্রীঃৰ শেষৰ ফালে মিত্রশক্তিৰ ফালে সুবিধা হোৱা যেন দেখা গৈছিল তেওঁলোকৰ নতুন 'টেঙ্ক'বিলাকে পশ্চিম ৰণাঙ্গনত তেওঁলোকক নতুন উদ্যম চলোৱাৰ ক্ষমতা দিছিল; ইংলেণ্ডত উপদ্রৱ কৰা 'জেপেলিন' আকাশী জাহাজ-বিলাকৰ ভয়ঙ্কৰ বিপদ ঘটিছিল; জার্মাণ 'চাবমেৰিণ'বিলাকৰ সত্বেও নিৰপেক্ষ দেশৰ জাহাজত যথেষ্ট খাদ্য সামগ্রী ইংলেণ্ড পাইছিলগৈ। ১৯১৬ খ্রীঃৰ মেই মাহত উত্তৰ সাগৰত এখন নৌ যুদ্ধ হৈছিল (জোতলেণ্ডৰ যুদ্ধ), মুঠতে কবলৈ হ'লে সেই যুদ্ধত বৃটিছ কৃতকার্য হৈছিল। ইতিমধ্যে জার্মাণীক যেৰি ধৰি আবদ্ধ কৰি ৰখাৰ কাৰণে অষ্ট্রিয়া আৰু জার্মাণীৰ মানুহবিলাকৰ অনাহাৰত মৰণ মিলা অৱস্থা বেছি তীব্র হৈছিল। কেন্দ্রীয়শক্তিৰ বেয়া দিন যেন দেখা গৈছিল আৰু ক্রত-ফল আৱশ্যকীয় বুলি বিবেচনা কৰা হৈছিল। জার্মাণীয়ে আন কি শান্তিৰ উল্লেখ থকা কেইটামান মন্তব্য কৰিছিল, কিন্তু মিত্রশক্তিয়ে সেইবিলাকৰ কোনোটোকে গ্রহণ কৰিবলৈ ইচ্ছা নকৰিছিল; মিত্রশক্তিৰ চৰকাৰবিলাকে তেওঁলোকৰ গোপনীয় সন্ধিবিলাকত বিভিন্ন দেশবিলাক ভগাই লোৱা বিষয়ত ইমান বেছিকৈ দৃঢ় মত প্রকাশ কৰিছিল যে সম্পূর্ণ জয় লাভতকৈ কম একোতে তেওঁলোক সন্তুষ্ট হ'ব নোৱাৰিছিল। যুক্তৰাজ্যৰ ৰাষ্ট্রপতি উদ্র উইলচনেও আগতে শান্তি স্থাপনৰ অর্থে কিছুমান ব্যর্থ চেষ্টা কৰিছিল।

তেতিয়া জার্মাণ নেতাসকলে 'চাবমেৰিণৰ'' যুদ্ধ বেছি সতেজ কৰি ইয়াৰদ্বাৰা ইংলেণ্ডক অনাহাৰী কৰি বশ কৰিবলৈ সিদ্ধান্ত কৰিছিল। ১৯১৭ খ্রীঃৰ জানুৱাৰী মাহত তেওঁলোকে ঘোষণা কৰিছিল যে তেওঁলোকে কিছুমান নির্দ্ধাৰিত স্থানলৈ গৈ সাগৰত নিৰপেক্ষ দেশৰ জাহাজো ডুবাব। এই নিৰপেক্ষ দেশবিলাকক ইংলেণ্ডলৈ খাদ্য সামগ্রী নিয়া বন্ধ কৰিবলৈ এই ঘোষণা কৰা হৈছিল। এই ঘোষণাই আমেৰিকাক বৰকৈ বিতুষ্ট কৰিছিল; সেই দেশৰ জাহাজ এইদৰে ডুবুৱাটো তেওঁলোকে হত্যা

কৰিব নোৱাৰিছিল। ইয়েই সেই দেশৰ যুদ্ধত প্ৰৱেশ অনিবাৰ্য কৰিছিল, আৰু প্ৰকৃততে জাৰ্মাণ চৰকাৰে যেতিয়া অনিয়ন্ত্ৰিতভাৱে চাবমেৰিণেৰে জাহাজ ডুবুৱাৰ সিদ্ধান্তটো কৰিছিল, তেওঁলোকে নিশ্চয় এই কথাটো জানিছিল। সম্ভৱতঃ তেওঁলোকে অনুভৱ কৰিছিল যে তেওঁলোকৰ কাৰণে আন উপায় নাছিল আৰু তেওঁলোক সম্ভাব্য বিপদটোৰ সন্মুখীন হ'ব লগা হৈছিল। নাইবা হয়তো তেওঁলোকে ভাবিছিল যে আমেৰিকাৰ বিত্তীয় কাৰবাৰ চলোৱা মানুহবিলাকে মিত্ৰশক্তিক যথেষ্ট সহায় কৰিছিল, স্বৰূপতে এনে সাহায্য কৰিছিলো। যি কি নহওক, ১৯১৭ খ্ৰীঃৰ এপ্ৰিল মাহত যুক্তৰাজ্যই যুদ্ধ ঘোষণা কৰিছিল আৰু যি কালত আন সকলো কেইটা জাতি জৰুলা হৈছিল, সেই কালত যক্তৰাজ্য সেই দেশৰ বিৰাট সঙ্গতি আৰু অটট অৱস্থাৰে যুদ্ধত প্ৰৱেশ কৰাত জাৰ্মাণ শক্তিবিলাকৰ পৰাজয় সুনিশ্চিত হৈছিল।

তদুপৰি আনকি যুক্তৰাজ্যই যুদ্ধ ঘোষণা কৰাৰ আগতে অতি গুৰুত্বপূৰ্ণ ঘটনা এটা ঘটিছিল। ১৯১৭ খ্ৰীঃৰ ১৫ মাৰ্চত ৰুচিয়াৰ প্ৰথম বিপ্লৱটোৰ ফলত জাৰে সিংহাসন ত্যাগ কৰিছিল। এই বিপ্লৱৰ বিষয়ে মই বেলেগে তোমালৈ লিখিম। এতিয়া যিটো কথা তুমি মন কৰাটো ইচ্ছা কৰিছোঁ; সেই কথাটো এই যে বিপ্লৱে যুদ্ধৰ গতি ভীষণভাৱে পৰিৱৰ্তিত কৰিছিল। দেখদেখকৈ সেই সময়ত ৰুচিয়াই জাৰ্মাণ শক্তিবৰ্গৰ বিৰুদ্ধে যুদ্ধ কৰিলেও বোছকৈ যুদ্ধ কৰিব নোৱাৰিছিল; ইয়াৰ ইয়াৰ অৰ্থ হৈছিল যে পূব ৰণাঙ্গনত জাৰ্মাণীয়ে সকলোবিলাক দুশ্চিন্তাৰপৰা বেহাই পাইছিল। সেই দেশে পূব ৰণাঙ্গণৰপৰা সকলোবিলাক নাইবা অতি সৰহ ভাগ সৈন্য বাহিনী পশ্চিম ৰণাঙ্গনলৈ স্থানান্তৰিত কৰি সেইবিলাকক ফৰাচী আৰু বৃটিছৰ বিৰুদ্ধে প্ৰবলভাৱে লগাব পাৰিছিল। হঠাৎ অৱস্থাটো জাৰ্মাণীৰ কাৰণে অনুকূল হৈছিল। ৰুচ বিপ্লৱটো হোৱাৰ ছয় বা সাত সপ্তাহৰ আগতে যদি জাৰ্মাণীয়ে বিপ্লৱটোৰ কথা অলপো জানিলেহেঁতেন, তেনেহ'লে ই কিমান যে ডাঙৰ পৰিৱৰ্তন ঘটালেহেঁতেন! ইয়াৰ অৰ্থ হ'লহেঁতেন কোনোৰকমৰ পৰিৱৰ্তন নকৰাকৈ চাবমেৰিণৰ যুদ্ধ চলাই থকা আৰু সম্ভৱ আমেৰিকা নিৰপেক্ষ হৈ থকা। ৰুচিয়া যুদ্ধৰপৰা আঁতৰ হোৱা হ'লে আৰু আমেৰিকা নিৰপেক্ষ হৈ থকা হলে অতি সম্ভৱ জাৰ্মাণীয়ে ফৰাচী আৰু বৃটিছ সৈন্যবাহিনী দমন কৰিলে হেঁতেন। আনকি, এনে ঘটিছিল, সেই অৱস্থাতো পশ্চিম ৰণাঙ্গনত জাৰ্মাণীৰ বল বাঢ়িছিল আৰু জাৰ্মাণ চাবমেৰিণে অতি ব্যাপকভাৱে মিত্ৰশক্তিৰ আৰু নিৰপেক্ষ দেশৰ জাহাজ পৰিবহন কাৰ্য ধ্বংস কৰিছিল।

ৰুচ বিপ্লৱে জাৰ্মাণীক সহায় কৰা যেন দেখা গৈছিল। পিছে ঘটনাক্ৰমে ই আভ্যন্তৰীণ দুৰ্বলতাৰ এটা অতি ডাঙৰ কাৰণ হৈছিল। প্ৰথম বিপ্লৱটোৰপৰা আঠ মাহৰ ভিতৰত দ্বিতীয় বিপ্লৱটো হৈছিল, এই বিপ্লৱে চোভিয়েট আৰু বলচেভিকবিলাকক ক্ষমতাত অধিষ্ঠিত কৰিছিল, তেওঁলোকৰ সংগ্ৰাম ধ্বনি আছিল শান্তি। তেওঁলোকে যুদ্ধত সাঙোৰ খাই থকা সকলো জাতিৰ বনুৱা আৰু সেনাবিলাকক সম্বোধন কৰি শান্তিৰ কাৰণে গোহাৰি জনাইছিল; তেওঁলোকে দেখুৱাইছিল যে সেইখন পুঁজিবাদীৰ যুদ্ধ আছিল আৰু বনুৱাবিলাকে সাম্ৰাজ্যবাদী উদ্দেশ্যৰ সমৃদ্ধিৰ অৰ্থে নিজক বলতোপৰ গুলি স্বৰূপে ব্যৱহাৰ কৰিবলৈ দিয়া

উচিত নহয়। কিছুমান এনে কথা আৰু গোহাৰি ৰণাঙ্গনৰ আন আন জাতিৰ সৈন্যবিলাকৰো ওচৰ পাইছিল গৈ আৰু সেইবিলাকে তেওঁলোকৰ মনত যথেষ্ট সাঁচ বহুৱাইছিল। ফৰাচী সৈন্যবাহিনীত সৈনিকৰ মাজত বিদ্ৰোহ হৈছিল আৰু কৰ্তৃপক্ষে কোনোৰকমে সেইবিলাক দমন কৰিছিল। জাৰ্মাণ সেনাবিলাকৰ ওপৰত ইয়াৰ প্ৰভাৱ ততোধিক হৈছিল, কাৰণ বহুতো সৈন্য দলে বিপ্লৱৰ পাছত ৰুচ সৈন্যবাহিনীৰ লগত ভাতৃভাৱৰ সম্পৰ্ক কৰিছিল। এই সৈন্যদলবিলাক যেতিয়া পশ্চিম ৰণাঙ্গনলৈ বদলি কৰা হৈছিল, তেতিয়া তেওঁলোকে এই নতুন বাণী বহন কৰি নি আন সৈন্যবিলাকৰ মাজত ইয়াক প্ৰচাৰ কৰিছিল। জাৰ্মাণী বুদ্ধত জুৰুলা আৰু নিৰাশ হৈ আছিল আৰু ৰুচিয়াৰ গুটি এনে মাটিত পৰিছিল যি মাটি সেই গুটি সিঁচিবৰ কাৰণে প্ৰস্তুত হৈ আছিল। এইদৰে ৰুচ বিপ্লৱে জাৰ্মাণৰ অভ্যন্তৰ দুৰ্বল কৰিছিল।

কিন্তু এইবিলাক কুলক্ষণ জাৰ্মাণীৰ সামৰিক কৰ্তৃপক্ষৰ চকুত নপৰিছিল, আৰু ১৯১৮ খ্ৰীঃৰ মাৰ্চ মাহত তেওঁলোকে চোভিয়েটে ৰুচিয়াক এটা বিপাঙত পেলোৱাই অপমানজনক সন্ধি কৰিবলৈ বাধ্য কৰিছিল। চোভিয়েটে এই সন্ধি কৰিবলৈ মান্তি হৈছিল, কাৰণ তেওঁলোকৰ আন উপায় নাছিল আৰু তেওঁলোকে যেই সেই মূল্য দি হলেও শান্তি বিচাৰিছিল। ১৯১৮ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহতে জাৰ্মাণ-সৈন্যবাহিনীয়ে পশ্চিম ৰণাঙ্গনত তেওঁলোকৰ শেষ প্ৰবল চেষ্টা চলাইছিল। জাৰ্মাণ বিলাক ইংৰাজ আৰু ফৰাচী সৈন্যবাহিনীৰ মাজত সোমাই সেই পদ্ধতিৰে যুদ্ধ কৰি শত্ৰুপক্ষৰ সৈন্যদল ধ্বংস কৰি আগুৱাই গৈ পুনৰ মাৰ্ন নদী পাইছিল গৈ; চাৰে তিনি বছৰৰ পূৰ্বে ইয়াৰপৰাই তেওঁলোকক পিছুৱোহকাই পঠিওৱা হৈছিল। ই তেওঁলোকৰ ডাঙৰ চেষ্টা আছিল; কিন্তু এইটোৱেই শেষ চেষ্টা হৈছিল আৰু জাৰ্মাণী বিফল হৈছিল। ইতিমধ্যে আটলাণ্টিক মহাসাগৰ পাৰ হৈ আমেৰিকা সৈন্যবিলাক আহিছিল আৰু কষ্টকৰ অভিজ্ঞতাৰপৰা শিক্ষা পাই, আটাইতকৈ বেছি পৰিমাণে সহযোগ আৰু চেষ্টাৰ ঐক্য লাভৰ অৰ্থে পশ্চিম ৰণাঙ্গনত বৃটিছ, আমেৰিকান, ফৰাচী—মিত্ৰ শক্তিৰ সকলোবিলাক সৈন্যবাহিনী একজন সৰ্বাধিনায়কৰ অধীনত ৰখা হৈছিল। ফৰাচী মাৰ্চেল ফোচক পশ্চিম ৰণাঙ্গনৰ মিত্ৰশক্তিৰ সমগ্ৰ সৈন্যবাহিনীৰ সৰ্বাধিনায়ক পতা হৈছিল। ১৯১৮ খ্ৰীঃৰ মাজভাগৰ সময়ত সঙ্কটপূৰ্ণ অৱস্থা নিশ্চিতভাৱে পৰিৱৰ্তিত হৈছিল; মিত্ৰশক্তিৰ হাতলৈ নতুন উদ্যম আৰু আক্ৰমণৰ ক্ষমতা আহিছিল, আৰু তেওঁলোক জাৰ্মাণবিলাকক পিছলৈ খেদি আগুৱাই গৈ আছিল। অক্টোবৰ মাহৰ সময়ত শেষটো ওচৰ চাপিছিল আৰু যুদ্ধ বিৰতিৰ কথা-বতৰা চলিছিল।

৪ নৱেম্বৰত কিয়েলত জাৰ্মাণ নৌ বাহিনীত এটা বিদ্ৰোহ হৈছিল আৰু তাৰ পাঁচ দিনৰ পিছত বাৰ্লিনত গণৰাষ্ট্ৰ ঘোষণা কৰা হৈছিল। সেইদিনাই ৯ নৱেম্বৰত কেইজাৰ ২য় উইলহেল্মে জাৰ্মাণীৰপৰা হলেণ্ডলৈ অশোভনীয় আৰু অপ্ৰত্যাশিতৰূপ ভাৱে প্ৰস্থান কৰিছিল আৰু তেওঁৰ লগে লগে হোহেন জোলাৰ্ন ৰাজবংশৰ অন্ত পৰিছিল। চীনৰ মান্দুবিলাকৰ দৰে "সাপৰ নেগুৰৰ দৰে অদৃশ্য হবলৈ তেওঁ-লোকে বাবৰ পোজৰণিৰে প্ৰৱেশ কৰিছিল।"

১৯১৮ খ্রীঃৰ ১১ নৱেম্বৰত যুদ্ধ বিৰতি চুক্তিত চহী কৰা হৈছিল আৰু লগে লগে যুদ্ধখনৰ অন্ত পৰিছিল। এই যুদ্ধবিৰতি চুক্তিৰ মূলত আছিল আমেৰিকাৰ ৰাষ্ট্রপতি উইলচনে স্থিৰ কৰি দিয়া 'চৈধ্য দফা'। যুদ্ধত সাঙোৰ খোৱা ক্ষুদ্র জাতিকেইটাৰ আত্মনিয়ন্ত্রণ, নিৰস্ত্রীকৰণ, গোপনীয় কূটনীতি নিষেধ, শক্তিবিলাকৰদ্বাৰা কচিয়াক সহায় কৰা আৰু জাতিসংঘ এটা স্থাপনৰ নীতিক ভেটি কৰি থাইকৈ সেই চৈধ্য দফা স্থিৰ কৰা হৈছিল। আমি পিছত জানিম কেনেকৈ বিজয়ীবিলাকে সুযোগ বুজি এই চৈধ্য দফাৰ বহুতো পাহৰিছিল।

যুদ্ধখন শেষ হৈছিল। কিন্তু ইংলেণ্ডৰ নৌ বাহিনীয়ে জাৰ্মাণীক ঘেৰি অৱৰোধ কৰি ৰখা কামটো চলি আছিল আৰু অনাহাৰে মৰিব খোজা জাৰ্মাণ তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীবিলাকৰ ওচৰলৈ খাদ্য সামগ্রী যাবলৈ দিয়া নহৈছিল। ঘৃণাৰ আৰু আনকি ল'ৰা-ছোৱাল বিলাককো শাস্তি দিয়াৰ বাঞ্ছাৰ এই বিস্ময়কৰ প্ৰকাশক সন্মানীয় বৃটিছ ৰাজনীতিজ্ঞলোকে আৰু জননেতা বিলাকে, শ্ৰেষ্ঠ বাতৰি কাকতবিলাকে, আনকি উদাৰনৈতিক আখ্যা পোৱা সাময়িক আলোচনীবিলাকেও সমৰ্থন কৰিছিল। প্ৰকৃততে সেই কালৰ ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী লয়েড জৰ্জ্জ উদাৰনৈতিক আছিল। যোৱা চাৰি বছৰৰ যুদ্ধৰ খতিয়ান উন্মত্ত পাশৱিকতা আৰু নিষ্ঠুৰ অত্যাচাৰৰ কাহেৰে পৰিপূৰ্ণ আছিল। তথাপি যুদ্ধ বিৰতিৰ পিছতো জাৰ্মাণীক এইদৰে ঘেৰি বিচিচন্ন কৰি ৰখা কামটোত যি অত্যন্ত মমতাহীন পাশৱিকতা প্ৰকাশিত হৈছিল, তাক সম্ভৱতঃ আন একোৱে ছেৰ পেলাব নোৱাৰিছিল। যুদ্ধখন শেষ হৈছিল, তথাপি সমগ্ৰ জাতি এটাই অনাহাৰত কষ্ট ভুগিছিল, তাৰ সৰু ল'ৰা-ছোৱালীবিলাকে ভোকত ভয়ঙ্কৰ যাতনা ভুগিছিল আৰু ইচ্ছা কৰি আৰু বলেৰে খাদ্য সামগ্ৰী আঁতৰাই ৰখা হৈছিল। যুদ্ধই আমাৰ মনবিলাক কিমান যে বিকৃত কৰি উন্মত্ত ঘৃণাৰে পৰিপূৰ্ণ কৰে। জাৰ্মাণীৰ বৃদ্ধ 'চেন্সেলাৰ' (ৰাষ্ট্ৰপতি) বেঠমেন হলুভেগে কৈছিল, "আমাৰ বিৰুদ্ধে ইংলেণ্ডে যি অৱৰোধ প্ৰথা বলেৰে প্ৰয়োগ কৰিছিল, সি আছিল নিষ্ঠুৰতাৰ ভ্ৰমৰূপ, আসুৰিকতাকৈ অলপো কম নহয়; আমাৰ ল'ৰা-ছোৱালীবিলাকৰ গাত তাৰ চিন থাকিব।"

যেতিয়া শ্ৰেষ্ঠ ৰাজনীতিজ্ঞ পুৰুষসকলে আৰু উচ্চপদস্থ আন মানুহবিলাকে এই অৱৰোধত সন্মতি দিছিল; তেতিয়া নিঃকিন সিবিলাক সাধাৰণ সৈনিকে প্ৰকৃততে যুদ্ধ কৰিছিল, তেওঁলোকে এই দৃশ্য দেখি সহি থাকিব নোৱাৰিছিল। যুদ্ধ-বিৰতিৰ পিছত ৰাইনলেণ্ডৰ কলোন চহৰত বৃটিছ সৈন্যবাহিনী এটা ৰখা হৈছিল, আৰু সেই সৈন্যবাহিনীৰ অধিনায়ক ইংৰাজ সেনাপতিজনে লয়েড জৰ্জলৈ টেলিগ্ৰাম কৰি তেওঁক জনাব লগা হৈছিল "জাৰ্মাণ তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীবিলাকৰ যাতনাৰ দৃশ্যটোৱে বৃটিছ সৈন্যবাহিনীত কিমান বেয়া পৰিণামৰ সৃষ্টি কৰিছিল।" যুদ্ধ বিৰতিৰ পাছত সাত মাহতকৈও অধিক কাল ইংলেণ্ডে জাৰ্মাণীত এই অৱৰোধ চলাই আছিল।

যুদ্ধ চলি থকা দীঘলীয়া বছৰ কেইটাই যুদ্ধত লাগি থকা জাতিবিলাকক পাশৱিক কৰিছিল। এই কালছোৱাই অসংখ্য মানুহৰ নৈতিক বোধ নাশ কৰি

বহুত প্ৰকৃতিৰ মানুহক আধাআধি দোষী মানুহ কৰিছিল। হিংসাত আৰু ইচ্ছা কৰি প্ৰকৃত কথা বিকৃত কৰাত মানুহ অভ্যস্ত হৈছিল আৰু ঘৃণা আৰু প্ৰতিশোধৰ প্ৰকৃতিৰে তেওঁলোকৰ মন পৰিপূৰ্ণ হৈছিল।

যুদ্ধখনৰ লাভ লোকচানৰ হিচাবৰ কৰ্ত কেনে আছিল? এতিয়াও কোনেও নেজানে; তেওঁলোকে এতিয়াও কৰ্ম কৰিয়েই আছে। আধুনিক যুদ্ধই কি বুজায় সেই বিষয়ে তোমাৰ মনত লগাবলৈ মই কিছুমান সংখ্যা দিওঁ।

যুদ্ধখনৰ জনবল ক্ষয়ৰ মুঠ সংখ্যা গণনা কৰি তলত দিয়াৰ দৰে পোৱা গৈছে:

মৃত বুলি জনাজাত হোৱা সৈনিক	১০,০০০,০০০
মৃত বুলি বিশ্বাস কৰা সৈনিক	৩,০০০,০০০
মৃত বেসামৰিক লোক	১৩,০০০,০০০
আহত	২০,০০০,০০০
বন্দী	৩,০০০,০০০
যুদ্ধৰ বাবে মাউৰা হোৱা ল'ৰা-ছোৱালী	৯,০০০,০০০
যুদ্ধৰ বাবে হোৱা বিধৱা	৫,০০০,০০০
আশ্ৰয় প্ৰাৰ্থী	১০,০০০,০০০

এই ভয়ঙ্কৰ সংখ্যাবিলাক চাই এইবিলাকৰপৰা মানুহৰ যাতনা কিমান হ'ব পাৰে কল্পনা কৰিবলৈ চেষ্টা কৰা। সংখ্যাবিলাক যোগ কৰাচোন: অকল আহত আৰু নিহত মানুহৰ সংখ্যাই চাৰি কোটি যাঠি লক্ষ্য হয়।

আৰু নগদ ধন কিমান খৰছ হৈছিল? তেওঁলোকে এতিয়াও হিচাব কৰিয়েই আছে। আমেৰিকাত কৰা এটা গণনা মতে মিত্ৰশক্তিৰ পক্ষত মুঠ ব্যয় হৈছিল ৪০,৯৯৯,৬০০,০০০ পাউণ্ড—প্ৰায় ৪১ হেজাৰ নিযুত পাউণ্ড; জাৰ্মাণৰ পক্ষত মুঠ ব্যয় হৈছিল ১৫,১২২,৩০০,০০০ পাউণ্ড—১৫ হেজাৰ নিযুত পাউণ্ডতকৈ অধিক। সৰ্বমুঠ ব্যয় হৈছিল ৫৬ হেজাৰ নিযুততকৈও অধিক। এই সংখ্যাবিলাক আমি সম্পূৰ্ণ বুজিব নোৱাৰোঁ৷ কাৰণ আমাৰ দৈনন্দিন জীৱনৰ লগত এইবিলাক সম্পূৰ্ণ নিমিলা সংখ্যা। এইবিলাকে সূৰ্য বা নক্ষত্ৰবিলাকলৈ দূৰত্ব বুজোৱা সংখ্যাৰ নিচিনা জ্যোতিষবিজ্ঞানৰ সংখ্যালৈ আমাৰ মনত পেলোৱা যেন লাগে। যুদ্ধখনত লিপ্ত হোৱা বিজয়ী আৰু বিজিত দুয়োবিধৰে পুৰণি জাতিবিলাক এনেদৰে যে এতিয়ালৈকে যুদ্ধৰ কালত বিত্তীয় ব্যৱস্থাৰ পৰিণামত নিৰুপায়ভাৱে জড়িত হৈ আছে, তাত আচৰিত হ'বলগীয়া একো নাই।

'যুদ্ধ অন্ত কৰিবৰ অৰ্থে চলোৱা যুদ্ধখন', 'গণতন্ত্ৰৰ কাৰণে পৃথিৱীখন নিৰাপদ কৰিবৰ অৰ্থে', 'ক্ষুদ্ৰ জাতিবিলাকৰ স্বাধীনতা নিশ্চিত কৰিবৰ অৰ্থে', আত্মনিয়ন্ত্ৰণৰ অৰ্থে আৰু সাধাৰণভাৱে স্বাধীনতা আৰু উচ্চ আদৰ্শৰ অৰ্থে চলোৱা যুদ্ধখন শেষ হৈছিল, আৰু ইংলেণ্ড, ফ্ৰান্স, আমেৰিকা, ইটালী আৰু সেইবিলাক দেশৰ বহুতীয়া সৰু দেশবিলাকৰ জয় হৈছিল (ৰুচিয়া অৱশ্যে ইয়াৰ বাহিৰত আছিল)। আমি পিছত জানিব পাৰিম কিদৰে এই উচ্চ আৰু মহৎ আদৰ্শবিলাক কামত ৰূপায়িত কৰা হৈছিল। ইতিমধ্যে ইংৰাজ কবি চ'চেষ্টাৰ আন এটা

বেছি পুৰণি বিজয়ৰ বিকেইশাৰী কবিতা লিখিছিল, আমি সেই শাৰী কেইটাৰ পুনৰুক্তি কৰিব পাৰোঁ।

আৰু যিজন ডিউকে এই ডাঙৰ যুদ্ধখনত জয় লাভ কৰিছিল
তেওঁক সকলোৱে শলাগিছিল।
“কিন্তু তাৰপৰা শেহত কি উপকাৰ হ’ল?”
সৰু পিটাৰকিনে ক’লে।
“অ’ সেই কথা মই ক’ব নোৱাৰোঁ।”, তেওঁ ক’লে,
“কিন্তু বিজয়টো বিখ্যাত আছিল।”

১৫০

কচিয়াত জাৰৰ ৰাজত্বৰ অন্ত

৭ এপ্রিল, ১৯৩৩

মোৰ পূৰ্বৰ পত্ৰিৰ বিৱৰণীত মই কচ বিপ্লৱৰ আৰু যুদ্ধখনত তাৰ পৰিণামৰ কথা উল্লেখ কৰিছিলোঁ। যুদ্ধখনত পৰিণামৰ কথা নেভাবিলেও বিপ্লৱটো এটা ভয়ঙ্কৰ ঘটনা আৰু পৃথিৱীৰ বুৰঞ্জীত অদ্বিতীয় ঘটনা আছিল। যদিও এই বিপ্লৱটো এক প্ৰকাৰৰ প্ৰথম বিপ্লৱ আছিল, তথাপি বেছি দিন ই অকল একেটা মাথোন চানেকী হৈ নেথাকিব; কাৰণ ই আন দেশবিলাকলৈ প্ৰত্যাহ্বান হৈছে আৰু পৃথিৱীৰ সকলো ভাগৰ বহুত বিপ্লৱীৰ কাৰণে ই এটা আহি হৈছে। সেই ই গভীৰভাৱে পৰ্য্যালোচনাৰ উপযুক্ত বিষয়। নিঃসন্দেহে ই যুদ্ধখনৰ আটাইতকৈ বেছি গুৰুত্বপূৰ্ণ পৰিণাম আছিল, তথাপি যিবিলাক চৰকাৰ আৰু ৰাজনীতিজ্ঞ পুৰুষ যুদ্ধখনত মগ্ন হৈছিল, তেওঁলোকৰ কোনোৱে এই বিপ্লৱটোৰ কথা মুঠেই ভবা নাছিল আৰু ইয়াক মুঠেই বাধা নকৰিছিল। নাইবা সম্ভৱতঃ এনেকৈ ক'লেহে বেছি শুদ্ধ হ'ব যে কচিয়াত প্ৰচলিত যিবিলাক ঐতিহাসিক আৰু অৰ্থনৈতিক অৱস্থা যুদ্ধখনৰ বিশাল ক্ষতি আৰু দুৰ্গতিয়ে অতি তীব্ৰ কৰিছিল; আৰু যিবিলাক এনে অৱস্থাৰ সুযোগ শ্ৰেষ্ঠ মনোবৃত্তি সম্পন্ন আৰু বিপ্লৱৰ বিষয়ত অসাধাৰণ প্ৰতিভা-শালী লেনিনে লৈছিল, সেই অৱস্থাবিলাকেই বিপ্লৱটোৰ সৃষ্টি কৰিছিল।

আচলতে ১৯১৭ খ্ৰীঃৰ বছৰটোত কচিয়াত দুটা বিপ্লৱ হৈছিল, এটা হৈছিল মাৰ্চত আৰু আনটো হৈছিল নৱেম্বৰত। নাইবা সমস্ত কাল জোৰাকে দুটা চূড়ান্ত নিদৰ্শন থকা বিপ্লৱৰ অবিচ্ছিন্ন পদ্ধতি এটা চলা কাল বুলি বিবেচনা কৰিব পাৰি।

কচিয়াৰ বিষয়ক মোৰ আগৰখন চিঠিত ১৯০৫ খ্ৰীঃৰ বিপ্লৱৰ বিষয়ে কৈছোঁ, সেই বিপ্লৱো হৈছিল এখন যুদ্ধ আৰু সেই যুদ্ধত হোৱা পৰাজয়ৰ সময়ত। পাশৱিকভাৱে ইয়াক দমন কৰা হৈছিল আৰু জাৰৰ চৰকাৰে গোপন অনুসন্ধানেৰে সকলোবিলাক উদাৰ মত থকা পেলাই সিবিলাকক দমন কৰি তেওঁলোকৰ স্বেচ্ছাচাৰী আৰু অত্যাচাৰী ৰাজত্ব চলাই আছিল। মাৰ্ক্সবাদীবিলাকক, বিশেষকৈ বলচেভিকবিলাকক সম্পূৰ্ণৰূপে দমন কৰা হৈছিল আৰু তেওঁলোকৰ প্ৰধান স্ত্ৰী-পুৰুষবিলাক চাইবেৰিয়াৰ অপৰাধী থকা উপনিৱেশবিলাকত নাইবা দেশান্তৰত নিৰ্বাসিত হৈ আছিল। কিন্তু দেশান্তৰত থকা এই তাকৰীয়া মানুহবিনিয়েই লেনিনৰ নেতৃত্বত তেওঁলোকৰ প্ৰচাৰ কাৰ্য আৰু পৰ্য্যালোচনা চলাই আছিল। তেওঁলোক সকলোৱেই মাৰ্ক্সবাদত দৃঢ় বিশ্বাসী আছিল, কিন্তু মাৰ্ক্সৰ তত্ত্বটো

ইংলেণ্ড বা জাৰ্মানীৰ দৰে চূড়ান্তভাৱে উদ্যোগীকৃত দেশ এখনৰ কাৰণে উপযোগী কৰিহে ইয়াক স্থিৰ কৰা হৈছিল। কচিয়া তেতিয়া মধ্যযুগীয়া আৰু কৃষিপ্ৰধান আছিল, মুঠেই ডাঙৰ নগৰবিলাকত উদ্যোগৰ সামান্য পাতনি মেল খাইছিল। লেনিনে মাৰ্ক্সবাদৰ মূল নীতিবিলাক কচিয়াৰ প্ৰচলিত অৱস্থাৰ লগত খাপ খুৱাবলৈ চেষ্টা কৰিছিল। তেওঁ এই বিষয়ে বহুত লেখিছিল আৰু নিৰ্বাসিত কচবিলাকে তেওঁলোকৰ মাজত বাদানুবাদ চলাই বিপ্লৱৰ তথ্যটোৰ সম্পৰ্কত নিজকে প্ৰস্তুত কৰিছিল। লেনিনে বিশ্বাস কৰিছিল যে কাম এটা কৰিবলৈ হ'লে বিশেষজ্ঞ আৰু প্ৰশিক্ষণ প্ৰাপ্ত মানুহৰ দ্বাৰা তাক কৰাৰ লাগিব, অকল উৎসাহী মানুহৰ দ্বাৰা নহয়। তেওঁৰ মতে যদি বিপ্লৱ সৃষ্টি কৰিবলৈ চেষ্টা কৰিব লাগে তেনেহ'লে এই কামৰ কাৰণে মানুহক নিখুঁতভাৱে প্ৰশিক্ষিত কৰিব লাগিব, যাতে কেতিয়া মানুহে কি কৰা উচিত সেই বিষয়ে তেওঁলোকৰ মনত স্পষ্ট ধাৰণা থাকে। সেই কাৰণে লেনিন আৰু তেওঁৰ সহকৰ্মীসকলে ১৯০৫ খ্ৰীঃৰ পাছৰ দমনৰ বিষাদপূৰ্ণ বছৰ কেইটা ভৱিষ্যত কামৰ কাৰণে নিজক প্ৰশিক্ষিত কৰাত লগাইছিল।

কচিয়াৰ নগৰীয়া বনুৱা শ্ৰেণীটো আগতে ১৯১৪ খ্ৰীঃত জাগ্ৰত হৈ পুনৰ বিপ্লৱী হৈছিল। অসংখ্য ৰাজনৈতিক ধৰ্মঘট হৈছিল। তাৰ পাছত যুদ্ধখন লাগিছিল, সকলোৰে মন ইয়াতে আবদ্ধ হৈছিল আৰু সকলোতকৈ বেছি উন্নত মনৰ বনুৱাবিলাকক সৈনিকৰূপে ৰণাঙ্গনলৈ পঠোৱা হৈছিল। লেনিন আৰু তেওঁৰ সমষ্টিটো (তেওঁলোকৰ অতি সৰহভাগ কচিয়াৰ বাহিৰত নিৰ্বাসিত হৈ আছিল) আৰম্ভণিবেপৰা যুদ্ধৰ বিৰোধী আছিল। আনবিলাক দেশৰ সৰহভাগ সমাজবাদীৰ দৰে তেওঁলোকক ই উত্তেজিত কৰা নাছিল। তেওঁলোকে ইয়াক পুঁজিবাদীৰ যুদ্ধ বুলিছিল, আৰু কৈছিল যে বনুৱা শ্ৰেণীয়ে তেওঁলোকৰ নিজৰ মুক্তিলাভৰ কাৰণে যুদ্ধৰপৰা যিবিনি সুবিধা পাব তাৰ বাহিৰে এই যুদ্ধত তেওঁ-লোকৰ কোনো স্বাৰ্থ নাছিল।

যুদ্ধক্ষেত্ৰত কচ সৈন্য বাহিনীৰ ভয়ঙ্কৰ ক্ষতি হৈছিল, সম্ভৱতঃ যুদ্ধত জড়িত থকা সকলোবিলাক সৈন্যবাহিনীৰ ভিতৰত কচ বাহিনীৰে আটাইতকৈ বেছি ক্ষতি হৈছিল। সামৰিক মানুহবিলাকক সাধাৰণতে বেছি বুদ্ধিৰ মানুহ বুলি ভবা নহয়, আন কি এনে সামৰিক মানুহৰ কাৰণেও কচ সেনাপতিবিলাক অসাধাৰণ ৰূপে অকৰ্মণ্য আছিল। কচ সৈন্যবিলাকক বেয়াকৈ অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰা হৈছিল আৰু সঘনে তেওঁলোকৰ খাৰ-বাৰুদ আৰু খাদ্য সামগ্ৰী নোহোৱা হৈছিল, এনে অৱস্থাত তেওঁলোকক লাখে লাখে শত্ৰুৰ সন্মুখলৈ জোৰেৰে ঠেলি নিশ্চিত মৃত্যুৰ মুখলৈ পঠোৱা হৈছিল। ইতিমধ্যে যি চেণ্ট পিটাৰ্চবাৰ্গ পেট্ৰোগ্ৰাড নামে জনাজাত হৈছিল, তাত আৰু আন ডাঙৰ নগৰবিলাকত অত্যাধিক লাভ কৰা বৃত্তি ভয়ঙ্কৰভাৱে চলিছিল আৰু এনে লাভৰ কাৰণে বেচা-কিনা কৰা জুৱাৰীবিলাক বিশাল সম্পত্তিৰ গৰাকী হৈছিল। এই 'দেশপ্ৰেমী' জুৱাৰী আৰু লাভখোৰ-বিলাকে অৱশ্যে শেষলৈকে যুদ্ধ এখন চলাই থাকিবলৈ চিৎকাৰ কৰি দাবী কৰিছিল। নিঃসন্দেহে অবিৰত যুদ্ধ এখন তেওঁলোকৰ স্বাৰ্থৰ অনুকূলে হ'বহেতেন। কিন্তু সৈনিকবিলাক, বনুৱাবিলাক (যি সৈনিকৰ যোগান ধৰিছিল) ক্লান্ত, ক্ষুধাৰ্ত আৰু বিতৃষ্ণাপূৰ্ণ হৈছিল।

জাৰ নিকোলাচ অতি নিৰ্বোধ মানুহ আছিল ; তেওঁ বহুত পৰিমাণে তেওঁৰ পত্নী জাৰিণাৰ (জাৰৰ পত্নীৰ) অধীন আছিল, এই গৰাকী মহিলাও নিৰ্বোধ কিন্তু জাৰতকৈ বেছি সবল আছিল। দুয়ো ঠগ আৰু মূৰ্খ মানুহ কিছুমানৰ দ্বাৰা পৰিবেষ্টিত হৈ আছিল আৰু কোনোৱে তেওঁলোকক সমালোচনা কৰিবলৈ সাহ নকৰিছিল। অৱস্থা ইমান বেয়া হৈছিল যে গ্ৰেগৰি ৰাস্পুটিন নামৰ জনাজাত অতি ঘৃণনীয়ভাৱে লাঠুৱা মানুহ এজন জাৰিণাৰ প্ৰধান প্ৰিয় পাত্ৰ হৈছিল আৰু জাৰিণাৰ জৰিয়তে জাৰৰো প্ৰিয় পাত্ৰ হৈছিল। ৰাস্পুটিন (ৰাস্পুটিন শব্দটোৰ অৰ্থ লেতেৰা কুকুৰ) আগতে দুখীয়া খেতিয়ক আছিল, ঘোঁৰা চুৰ কৰাৰ কাৰণে সি বিপদত পৰিছিল। সি ধাৰ্মিকভাৱ সাজ পিন্ধি সন্ন্যাসীৰ লাভজনক ব্যৱসায়টো লবলৈ সিদ্ধান্ত কৰিছিল। ভাৰতবৰ্ষৰ দৰে ৰুচিয়াতেই ধন ঘটাৰ সহজ উপায় আছিল। সি তাৰ চুলিবিলাক বাঢ়ি দীঘল হ'বলৈ দিছিল আৰু তাৰ চুলিৰ লগে লগে যশস্যাও বাঢ়ি শেষত সম্ৰাটৰ ৰাজ সভা পাইছিলগৈ। জাৰ আৰু জাৰিণাৰ আলেক্সিচ বোলা একোটি পুত্ৰ ক্ষুদ্ৰাকৃতিৰ আৰু ৰুগীয়া আছিল, আৰু ৰাস্পুটিনে কেনেবাকৈ জাৰিণাৰ মনত বিশ্বাস লগাইছিল যে সি ল'ৰাটো সুস্থ কৰিব পাৰিব। তাৰ কপাল ফুলিছিল, সোনকালে জাৰ আৰু জাৰিণাৰ ওপৰত আধিপত্য হৈছিল আৰু তাৰ কথা মতেহে অতি শ্ৰেষ্ঠ বিষয়াবিলাকো নিযুক্ত কৰা হৈছিল। সি অত্যন্ত কলুষিত জীৱন যাপন কৰিছিল আৰু বৰ বেছি পৰিমাণত ভেঁটা খাইছিল। কেইবাবছৰো সি তাৰ আধিপত্যৰ ভূমিকা চলাই আছিল।

এই কাৰণে সকলো বিৰক্ত হৈছিল। আন কি ধীৰ পন্থীবিলাক আৰু অভিজাত শ্ৰেণীটোৱেও অস্পষ্ট আপত্তি কৰিবলৈ ধৰিছিল আৰু কাৰেঙত বিপ্লৱ এটাৰ অৰ্থাৎ ৰজনেৰে জাৰ পৰিৱৰ্ত্তন কৰাৰ কথাও ওলাইছিল। ইতিমধ্যে জাৰ নিকোলাচ নিজে তেওঁৰ সৈন্য বাহিনীৰ প্ৰধান সৈন্যাধ্যক্ষ হৈ সকলোতে বিশৃঙ্খলাৰ সৃষ্টি কৰিছিল। ১৯১৬ খ্ৰীঃ বছৰটো শেষ হোৱাৰ কেইদিন মানৰ আগত জাৰৰ পৰিয়ালৰ মানুহ এজনে ৰাস্পুটিনক হত্যা কৰিছিল। ৰাতি খাবলৈ নিমন্ত্ৰণ কৰি নি তাক নিজে গুলিয়াই মৰিবলৈ কোৱা হৈছিল ; সি তেনে কৰিবলৈ অমান্তি হোৱাত তাক গুলিয়াই বধ কৰা হ'ল। ৰাস্পুটিনৰ হত্যাটো আপদ বৰ্জিল বুলি সাধাৰণভাৱে ৰাজত কলোৱা হৈছিল ; কিন্তু ইয়াৰ ফলত জাৰৰ গুপ্তচৰ পুলিচৰ অত্যাচাৰ হৈছিল।

দুৰ্বোৰ সঙ্কটটো বাঢ়িল। খাদ্য সামগ্ৰীৰ দুৰ্ভিক্ষ হ'ল আৰু পেট্ৰোগ্ৰাডত খাদ্য সামগ্ৰীৰ কাৰণে অনেক অশান্তি হ'ল। তাৰ পাছত মাৰ্চ মাহৰ আৰম্ভণি ভাগৰ দিন কেইটাত বনুৱাবিলাকৰ বহুদিনীয়া যাতনাৰপৰা হঠাৎ আৰু আপোনা আপুনি বিপ্লৱটোৰ উদ্ভৱ হৈছিল। মাৰ্চ মাহৰ ৮ তাৰিখৰ পৰা ১২ তাৰিখলৈ এই পাঁচ দিনত বিপ্লৱটোৰ জয়োল্লাস দেখা গৈছিল। এইটো কাৰেঙৰ ঘটনা নাছিল, আন কি শীৰ্ষস্থানৰ নেতাসকলৰদ্বাৰা সযত্নে পৰিকল্পনা কৰি কৰা ই সংগঠিত বিপ্লৱো নাছিল। ই তল খাপৰ অতি বেছিকৈ উৎপীড়িত বনুৱাবিলাকৰ মাজৰপৰা উদ্ভৱ হোৱা যেন দেখা গৈছিল আৰু স্পষ্ট কোনো পৰিকল্পনা বা নেতৃত্ব নোপোৱাকৈ ই কণাৰু নাকৈ খেপিয়াই বাট বিচাৰি বিচাৰি আগুৱাই গৈছিল। স্থানীয় ৰাজনৈতিক আদি বিভিন্ন বিপ্লৱী দলবিলাকৰ কাৰণে বিপ্লৱটো অভাৱনীয় আছিল আৰু তেওঁলোকে তাত নেতৃত্ব দিব নেজানিছিল। জনসাধাৰণে নিজে কামটো আৰম্ভ কৰিছিল আৰু যি মুহূৰ্ত্তত তেওঁলোকে পেট্ৰোগ্ৰাডত ৰখা সৈনিকবিলাকক তেওঁলোকৰ ফলীয়া

কৰি লব পাৰিছিল তেতিয়াই তেওঁলোকে কৃতকাৰ্যতা লাভ কৰিছিল। পিছে এই বিপ্লৱী জনসাধাৰণক অতীতৰ কৃষকৰ বিদ্ৰোহবিলাক সঘনে হোৱাৰ দৰে ধ্বংসকাৰী, সংগঠনহীন বিশৃঙ্খল জনতা বুলি ভুলকৈ ভবা উচিত নহ'ব। মাৰ্চৰ এই বিপ্লৱটোৰ প্ৰধান কথা এই যে বুৰঞ্জীত প্ৰথম বাৰৰ কাৰণে কাৰখানাৰ বনুৱাৰ বিটো শ্ৰেণীক 'প্ৰলিটেৰিয়েট' অৰ্থাৎ আটাইতকৈ তল খাপৰ অতি দুখীয়া সম্পত্তীহিন শ্ৰেণী বোলা হয়, সেই শ্ৰেণীটোৱে ইয়াত নেতৃত্ব কৰিছিল। যদিও সেই সময়ত বনুৱাবিলাকৰ লগত কোনো বিখ্যাত নেতা নাছিল (লেনিনকে আদি কৰি সকলো বিলাক নেতা বন্দী শালত নাইবা নিৰ্বাসিত হৈ আছিল) তথাপি লেনিনৰ সমষ্টিটোৱৰাৰা প্ৰশিক্ষিত বহুত অজ্ঞাত বনুৱা তেওঁলোকৰ মাজত আছিল। কেইজনমান কাৰখানাত কাম কৰা মানুহেই নিৰ্দ্ধাৰিত প্ৰণালীৰে আন্দোলন চলাই নিছিল।

আমি ইয়াত দেখিবলৈ পাওঁ উদ্যোগত কাম কৰা জনসাধাৰণৰ সক্ৰিয় হোৱাৰ ভূমিকা, আন ক'তো তেওঁলোকৰ এনে ভূমিকা দেখিবলৈ নেপাওঁ। অৱশ্যে ৰুচিয়া অতি বেছি পৰিমাণে কৃষি প্ৰধান দেশ আছিল আৰু কৃষি কাৰ্য ও মধ্যযুগীয়া পদ্ধতিৰে চলোৱা হৈছিল। মুঠতে কবলৈ হ'লে দেশখনত আধুনিক শ্ৰম শিল্প অতি অলপ আছিল; বিখিন আছিল সেই খিনিও কেইখনমান চহৰত কেন্দ্ৰীভূত হৈ আছিল। পেট্ৰোগ্ৰাডত এনে কাৰখানা বহুত আছিল, সেই কাৰণে তাত উদ্যোগত কাম কৰা এটা বিৰাট জনসংখ্যা আছিল। মাৰ্চৰ বিপ্লৱটো পেট্ৰোগ্ৰাডৰ এই বনুৱাবিলাকৰ আৰু নগৰত ৰখা সৈন্যবিলাকৰ কাম কৰিছিল।

মাৰ্চৰ ৮ তাৰিখে বিপ্লৱৰ প্ৰথম গুমগুমনি শুনা গৈছিল। তিৰোতা মানুহে আগ ভাগ লৈছিল, কাপোৰ কাৰখানাবিলাকৰ তিৰোতা বনুৱাবিলাকে একেলগে যাত্ৰা কৰি ওলাই গৈ ৰাস্তা বিলাকত সমাবোহ কৰিছিল। পিছদিনা ধৰ্মঘট ব্যাপক হৈছিল; বহুত মুনিহ বনুৱাও ওলাই আহিছিল; ৰুটিৰ কাৰণে দাবী কৰা হৈছিল আৰু 'স্বেচ্ছাচাৰ তন্ত্ৰ ধ্বংস হওক' ধ্বনি কৰা হৈছিল। যি কছাক সৈন্যবিলাক অতীতত জাৰৰ প্ৰধান সহায় হৈ আছিল, কৰ্তৃপক্ষে তেওঁলোকক আন্দোলনকাৰী বনুৱাবিলাকক দমন কৰিবলৈ পঠিয়াইছিল। কচাকবিলাকে মানুহবিলাকক ইফালে সিফালে খেদাই পঠিয়াইছিল, কিন্তু তেওঁলোকৰ ওপৰত গুলি চলোৱা নাছিল। আৰু বনুৱাবিলাকে আনন্দেৰে লক্ষ্য কৰিছিল যে কছাকবিলাকৰ তেওঁলোকৰ চৰকাৰী মুখৰ অন্তৰালত আচলতে বনুৱাবিলাকৰ প্ৰতি বন্ধুৰ ভাব আছিল। তৎক্ষণাত মানুহবিলাকৰ উৎসাহ বাঢ়িছিল আৰু তেওঁলোকে কছাকবিলাকৰ লগত ভাতৃভাৱ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু পুলিচক ঘিণ কৰা হৈছিল আৰু তেওঁলোকৰ গালৈ শিল গুটি দলিওৱা হৈছিল। তৃতীয় দিনা ১০ মাৰ্চ তাৰিখে কছাকবিলাকৰ লগত ভাতৃভাৱ স্থাপনৰ উদ্যমটো বাঢ়িছিল। আনকি এনে এটা খবৰ প্ৰচাৰিত হৈছিল যে বিবিলাক পুলিচে জনসাধাৰণক গুলিয়াইছিল কছাকবিলাকে তেনে পুলিচক গুলিয়াইছিল। পুলিচবিলাক ৰাস্তাৰপৰা আঁতৰ হৈছিল। তিৰোতা বনুৱাবিলাকে সৈনিকবিলাকৰ ওচৰলৈ গৈ তেওঁলোকক আকুলভাৱে গোহাৰি জনাইছিল; সৈনিকবিলাকৰ সজীন দাং খাইছিল।

পিছ দিনা ১১ মাৰ্চৰ তাৰিখটো দেওবাৰ আছিল। বনুৱাবিলাকে নগৰখনৰ মাজ ঠাইত গোট খাইছিল আৰু পুলিচে লুকাই থকা ঠাই বিলাকৰপৰা তেওঁলোকৰ ওপৰত গুলি চলাইছিল। কিছুমান সৈনিকেও জনসাধাৰণৰ ওপৰত গুলি চলাইছিল,

তেতিয়া মানুহবিলাকে এই সৈন্যদলটোৰ বাসস্থানলৈ গৈ দুৰ্যোৰ অভিযোগ কৰিছিল। সৈন্য দলটো অভিভূত হৈছিল আৰু মানুহবিলাকক ৰক্ষা কৰিবলৈ ৰজাৰ চলন নোপোৱা সাময়িক বিষয়া কেইজনৰ অধীনত সেই সৈন্য দলটো ওলাই আহি পুলিচৰ ওপৰত গুলি চলাইছিল। সৈন্য দলটোক আটক কৰা হৈছিল, কিন্তু ইমান পলমকৈ তেওঁলোকক আটক কৰা হৈছিল যে তাৰপৰা একো ফল নহ'ল। ১২ মাৰ্চত বিদ্ৰোহটো আনবিলাক সৈন্যদলৰ মাজত বিস্তৃত হোৱাত তেওঁলোক ৰাইফল আৰু বন্দুকলৈ ওলাই আহিল। ৰাস্তাবিলাকত বহুতো পৰিমানে গুলিয়া-গুলি হৈছিল, কিন্তু কোনে কাক গুলিয়াইছিল তাক কোৱা টান হৈছিল। তাৰ পাছত সৈন্যবিলাক আৰু বনুৱাবিলাক একেলগে গৈ কেইজনমান মন্ত্ৰীক, পুলিচৰ মানুহক আৰু গুপ্তচৰ বিভাগৰ মানুহক বন্দী কৰিছিল (আন বিলাক মন্ত্ৰী আগতে পলাইছিল)। তেওঁলোকে বন্দীশালবিলাকত পুৰণি ৰাজনৈতিক বন্দী বিলাকক মুক্তি দিছিল।

পেট্ৰোগ্ৰাডত বিপ্লৱৰ জয়োল্লাস হৈছিল। তাৰ অলপ পাছতে মস্কোতো সেই দৰে বিপ্লৱ কৃতকাৰ্য হৈছিল। গাৱঁৰ মানুহবিলাকে ঘটনা প্ৰবাহ লক্ষ্য কৰিছিল। ধীৰে ধীৰে কৃষকবিলাকে নতুন ব্যৱস্থাটো গ্ৰহণ কৰিছিল, কিন্তু তাত তেওঁলোকৰ উৎসাহ নাছিল। তেওঁলোকৰ কাৰণে মাটিৰ গৰাকী হোৱা আৰু শান্তি লাভ কৰা—এই দুটা প্ৰশ্নত মাথোন প্ৰাধান্য আছিল।

জাৰৰ খবৰ কি ? এই ঘটনাপূৰ্ণ দিন কেইটাত তেওঁৰ কি হৈছিল ? তেওঁ পেট্ৰোগ্ৰাডত নাছিল ; বহুত দূৰৈৰ সৰু চহৰ এখনত তেওঁ আছিল আৰু প্ৰধান সৈন্যাধ্যক্ষ স্বৰূপে তেওঁ তাৰপৰা তেওঁৰ সৈন্যবাহিনীবিলাকক পৰিচালিত কৰি আছিল বুলি ভবা হৈছিল। কিন্তু তেওঁৰ দিনৰ অন্ত পৰিছিল আৰু বৰ বেছিকৈ পকা ফল এটাৰ দৰে তেওঁ প্ৰায় সকলোৰে অলক্ষিতে সৰি পৰিছিল। মহা পৰাক্ৰমী জাৰ, ৰুচিয়াৰ দুৰ্দান্ত স্বেচ্ছাচাৰী শাসক, যাৰ আগত লাখ লাখ মানুহ ভয়ত কঁপিছিল, সেই 'ধৰ্মিকতাপূৰ্ণ ৰুচিয়া'ৰ 'সৰু পিতা' 'জন' 'যুৰগীৰ জাৰৰৰ পাচি'ৰ ভিতৰত অদৃশ্য হৈছিল। মহৎ ব্যৱস্থাবিলাকৰ যেতিয়া নিৰ্দিষ্ট কাম শেষ হয় আৰু যেতিয়া সেইবিলাকৰ দিন উকলে, তেতিয়া সেইবিলাক যে কেনেকৈ নাশ হয় তাৰ কথা ভাবিলে আচৰিত হ'ব লাগে। যেতিয়া জাৰে বনুৱাৰ ধৰ্মঘটবিলাকৰ কথা আৰু পেট্ৰোগ্ৰাডৰ অশান্তিবিলাকৰ কথা শুনিছিল, তেতিয়া তেওঁ সামৰিক আইন ঘোষণা কৰিবলৈ আদেশ দিছিল। সৈন্য বাহিনীৰ পৰিচালক সেনাপতি জনে ইয়াক নিয়ম মতে ঘোষণা কৰিছিল ; কিন্তু ঘোষণাটো নগৰ খনত সদৰিকৈ প্ৰচাৰ নহ'ল নাইবা সেই ঘোষণা লিখা কাগজ এঠা লগাই ঠায়ে ঠায়ে আৰি দিয়া নহ'ল, কাৰণ এই কামটো কৰিবলৈ কোনো মানুহ পোৱা নহৈছিল ; শাসন যন্ত্ৰটো ভাগি টুকুৰা টুকুৰ হৈছিল। জাৰে তেতিয়াও বিবিলাক ঘটনা ঘটিছিল. সেই বিলাকৰ অৰ্থ বুজিব নোৱাৰি পেট্ৰোগ্ৰাডলৈ উলটি আহিবলৈ চেষ্টা কৰিছিল। ৰেল পথত কাম কৰা বনুৱাবিলাকে বাটত তেওঁৰ ৰেল গাড়ীখন ৰাখিছিল। সেই সময়ত জাৰিণা পেট্ৰোগ্ৰাডৰ কাঁতি কাষৰীয়া ঠাই এখনত আছিল, তেওঁ জাৰলৈ টেলিগ্ৰাম কৰিছিল। টেলিগ্ৰামক অফিচৰ পৰা পেঠিয়লৈৰে 'গ্ৰাহকৰ বৰ্ত্তমান থকা ঠাই অজ্ঞাত' বুলি লিখা টোকা এটাৰে টেলিগ্ৰামখন ঘূৰাই পঠিওৱা হৈছিল।

ৰণাঙ্গনৰ সেনাপতিবিলাকে আৰু পেট্ৰোগ্ৰাডৰ উদাৰপন্থী নেতাবিলাকে এই

বিলাক ঘটনা দেখি ভয় খাই ভগ্নস্বাস্থ্য পবপৰা কিবা অলপ ৰক্ষা কৰিবলৈ আশা কৰি আৰক সিংহাসন ত্যাগ কৰিবলৈ প্ৰাৰ্থনা কৰিছিল। তেওঁৰ নিজৰ সম্বন্ধীয় মানুহ এজনক তেওঁৰ ঠাইত বহিবলৈ মনোনীত কৰি সিংহাসন ত্যাগ কৰিছিল। কিন্তু আৰু কোনো জাৰ হ'ব নোৱাৰিছিল, ৰোমান ৰাজবংশ তিনিশ বছৰ স্বেচ্ছাচাৰী শাসন চলোৱাৰ পাছত ই চিৰকালৰ কাৰণে ৰুচ ৰঙ্গমঞ্চৰপৰা বিদায় লৈছিল।

অভিজাত শ্ৰেণীয়ে, জমিদাৰৰ শ্ৰেণীবিলাকে আৰু উচ্চ মধ্যবিত্তৰ শ্ৰেণীবিলাকে আৰু আনকি উদাৰ পন্থী আৰু সংস্কাৰ কামী মানুহবিলাকেও বনুৱা শ্ৰেণীৰ এই আকস্মিক উৎপাতলৈ অতিপাত ভয় আৰু বিস্ময়ৰ চকুৰে চাইছিল। তেওঁলোকে যেতিয়া দেখিছিল যে যি সৈন্য বাহিনীৰ ওপৰত তেওঁলোকে আস্থা ৰাখিছিল, সেই সৈন্য বাহিনীয়েও বনুৱাবিলাকৰ লগত যোগ দিছিল, তেতিয়া তেওঁলোকে বনুৱা-বিলাকৰ আগত নিজক অক্ষম যেন অনুভৱ কৰিছিল। কোন পক্ষৰ জয় হ'ব সেই বিষয়ে তেওঁলোক তেতিয়াও সুনিশ্চিত হোৱা নাছিল। কাৰণ জাৰে ৰণাঙ্গনৰপৰা সৈন্য বাহিনী এটা লৈ উপস্থিত হব। এফালে বনুৱাবিলাকলৈ আনফালে জাৰলৈ ভয় আৰু তেওঁলোকৰ নিজৰ ক্ষতি নোহোৱাকৈ কেনেকৈ সাৰিব তাৰ দুৰ্ঘোৰ চিন্তাই তেওঁলোকৰ অৱস্থাটো শোচনীয় কৰিছিল। ডুমাখন আছিল, সি জমিদাৰ শ্ৰেণীৰ আৰু উচ্চ 'বুৰ্জোৱা' বা মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিধিনত্ব কৰিছিল। আনকি বনুৱাবিলাকেও তাৰ ওপৰত কিছু পৰিমাণে নিৰ্ভৰ কৰিছিল ; কিন্তু দুৰ্ঘোৰ সঙ্কটৰ সময়ত তাৰ অধ্যক্ষ আৰু সদস্যবিলাকে আগ ভাগ লোৱাৰ সলনি ভীত আৰু প্ৰকম্পিত হৈ বহি আছিল আৰু কি কৰা উচিত সেই বিষয়ে তেওঁলোকে একো স্থিৰ কৰিব নোৱাৰিছিল।

ইতিমধ্যে চোভিয়েটে গঢ় লৈছিল। বনুৱাৰ প্ৰতিনিধিসকলৰ লগত সৈনিকৰ প্ৰতিনিধিয়েও যোগ দিছিল আৰু নতুন চোভিয়েটে বিৰাট টৌৰিড ৰাজ প্ৰাসাদটোৰ এটা ভাগ অধিকাৰ কৰিছিল, তাৰ আন এটা ভাগত ডুমা বহিছিল। বনুৱা আৰু সৈনিকবিলাক তেওঁলোকৰ বিজয়ৰ কাৰণে উৎসাহৰে পৰিপূৰ্ণ হৈছিল। কিন্তু তাৰ ভিতৰতে এই প্ৰশ্নটোৰ উদয় হৈছিল—তেওঁলোকে এই বিজয় লাভ কৰি কি কৰিব ? তেওঁলোকে ক্ষমতা লাভ কৰিছিল এই ক্ষমতা কোনে চলাব ? তেওঁ-লোকৰ মনত নেলাগিছিল যে চোভিয়েটেই সেই কাম কৰিব পাৰিব ; তেওঁলোকে এইটো স্বতঃসিদ্ধ বুলি ভাবিছিল যে 'বুৰ্জোৱা' বা মধ্যবিত্তৰ শ্ৰেণীটোৱে হস্তগত কৰা উচিত। সেই কাৰণে ডুমাক শাসন কাৰ্য আৰম্ভ কৰিবলৈ কবলৈ চোভিয়েটৰ পৰা এটা সঁজাতী দল ডুমালৈ খোজ কাঢ়ি গৈছিল। ডুমাৰ প্ৰেচিডেন্ট আৰু সদস্য-সকলে ভাবিছিল যে সেই সজাতী দলটো তেওঁলোকক বন্দী কৰিবলৈ গৈছিল। ক্ষমতাৰ বোজাটো লবলৈ তেওঁলোকৰ ইচ্ছা নাছিল। সেই কালত যিবিলাক বিপদৰ সম্ভাৱনা আছিল সেইবিলাকৰ কাৰণে তেওঁলোকৰ ভয় হৈছিল। কিন্তু তেওঁলোকে কি কৰা উচিত ? চোভিয়েটৰ সজাতী দলে নেৰানেপাৰাকৈ ধৰিছিল, তেওঁলোকৰ কথাত অমান্তি হ'বলৈকো তেওঁলোকে ভয় কৰিছিল। সেই কাৰণে অতি অনিচ্ছা সত্ত্বেও আৰু পৰিণামলৈ ভয় কৰি ডুমাৰ এটা সমিতিয়ে ক্ষমতা গ্ৰহণ কৰিছিল আৰু বাহিৰৰ মানুহৰ মনত এনে ধাৰণা হৈছিল যে ডুমাইহে বিপ্লৱটোৰ নেতৃত্ব কৰিছিল। এইটো কি যে অসাধাৰণ খেলি মেলি হৈছিল ! আমি যদি গল্প এটাত এনে ঘটনাবিলাকৰ কথা পঢ়িলোহেঁতেন, তেতিয়া হলে আমি সেই-

বিলাক আচলতে ঘটিছিল বুলি কদাচিতহে বিশ্বাস কৰিলোহেঁতেন। কিন্তু আচল ঘটনা সদায় গল্পতকৈ বেছি বিস্ময়কৰ হয়।

ডুমাৰ সমিতিটোৱে যি অস্থায়ী চৰকাৰ গঠন কৰিছিল, তাৰ লোকসকল অতি ৰক্ষণশীল আছিল আৰু তাৰ প্ৰধানমন্ত্ৰীজন আছিল এজন 'প্ৰিন্স' (তলতীয়া ৰজা) একেটা অট্টালিকাৰ এটা ভাগত চোভিয়েটে নেৰানেপেৰাকৈ অস্থায়ী চৰকাৰৰ কামত হস্তক্ষেপ কৰি আছিল। কিন্তু আৰম্ভণি ভাগত চোভিয়েট ধীৰ পন্থী আছিল আৰু ইয়াত বলচেভিকৰ সংখ্যা নিচেই কম আছিল। এই দৰে অস্থায়ী চৰকাৰ আৰু চোভিয়েটৰ এক প্ৰকাৰ দ্বৈত শাসন চলিছিল; আৰু তেওঁলোকৰ পিছত আছিল বিপ্লৱটো কৃতকাৰ্য কৰা বিপ্লৱী জনসাধাৰণ, এই জনসাধাৰণে বিপ্লৱটোৰপৰা মহৎ কাম হ'ব বুলি আশা পালি আছিল। ক্ষুধাতুৰ আৰু যুদ্ধত ক্লান্ত হোৱা জনসাধাৰণে নতুন চৰকাৰৰ পৰা মুঠেই এইটো নিৰ্দেশ পাইছিল যে জাৰ্মাণবিলাকক পৰাস্ত নকৰালৈকে তেওঁলোকে যুদ্ধ চলাই থাকিব লাগিব। তেওঁলোকে আচৰিত হৈ ভাবিছিল ইয়াৰ কাৰণেই তেওঁলোকে বিপ্লৱৰ বিপৰ্যয় সহি আৰক খেলাইছিল নে?

ঠিক এই সময়তে ১৭ এপ্ৰিলত দৃশ্যপটত লেনিনৰ আবিৰ্ভাৱ হৈছিল। যুদ্ধখন আৰম্ভ হোৱা কালৰপৰা সেই সময়ৰ আগলৈকে তেওঁ চুইজাৰলেণ্ডত আছিল আৰু তেওঁ বিপ্লৱটোৰ কথা শুনা মাত্ৰকে ৰুচিয়ালৈ আহিবলৈ ব্যগ্ৰ হৈছিল। তেওঁ কেনেকৈ আহিব? ইংৰাজ আৰু ফৰাচীবিলাকে তেওঁলোকৰ ৰাজ্যৰ মাজেদি আহিবলৈ নিদিছিল, জাৰ্মাণ আৰু অষ্ট্ৰীয়ানবিলাকেও তেওঁলোকৰ ৰাজ্যৰ মাজেদি আহিবলৈ নিদিছিল। অৱশেষত জাৰ্মাণ চৰকাৰে তেওঁলোকৰ নিজৰ স্বাৰ্থৰ কাৰণে তেওঁক চুইজাৰলেণ্ডৰ সীমান্তৰপৰা ৰুচিয়াৰ সীমান্তলৈ আন কোনো সোমাব নোৱাৰা বন্ধ ৰেলগাড়ী এখনত যাবলৈ দিবলৈ মান্তি হৈছিল। তেওঁলোকে অৱশ্যে যুক্তিযুক্তভাৱে আশা কৰিছিল যে ৰুচিয়াত লেনিনৰ প্ৰৱেশ অস্থায়ী চৰকাৰক আৰু যুদ্ধ চলোৱাৰ সপক্ষে থকা দলটোক দুৰ্বল কৰিব, কাৰণ লেনিন যুদ্ধৰ বিৰোধী আছিল আৰু তেওঁলোকে ইয়াৰ সুযোগ লবলৈ আশা কৰিছিল। তেওঁলোকে কল্পনাই কৰা নাছিল যে প্ৰায় অজ্ঞাত এই বিপ্লৱীজনে ইউৰোপত আৰু পৃথিৱীখনত খলক লগাই যাব।

লেনিনৰ মনত কোনো সন্দেহ বা অস্পষ্টতা নাছিল। তেওঁৰ দৃষ্টি আছিল তীক্ষ্ণ আৰু সেই দৃষ্টিৰে জনসাধাৰণৰ মনৰ অৱস্থা বুজিব পাৰিছিল; তেওঁৰ বোধশক্তি আছিল পৰিষ্কাৰ আৰু তাৰে তেওঁ সুচিন্তিত নীতিবিলাক পৰিৱৰ্তনশীল অৱস্থাত খাপ খুৱাই প্ৰয়োগ কৰিব পাৰিছিল। তেওঁৰ ইচ্ছাশক্তি আছিল অদম্য, তাৰ বলত তেওঁ আশু পৰিণামলৈ ভ্ৰক্ষেপ নকৰাকৈ সুপৰিকল্পনাৰে স্থিৰ কৰি লোৱা প্ৰণালীটোত নেৰানেপেৰাকৈ লাগি থাকিব পাৰিছিল। যিদিনা তেওঁ গৈ পাইছিল, সেইদিনাই তেওঁ বলচেভিক দলটোক ভীষণভাৱে বিচলিত কৰিছিল, তেওঁলোকৰ নিষ্ক্ৰিয়তাৰ কাৰণে তেওঁলোকক সমালোচনা কৰিছিল আৰু উজ্জ্বল ভাষাৰে তেওঁলোকৰ কি কৰ্তব্য তাক দেখুৱাইছিল। তেওঁৰ বক্তৃতাটো বিজুলী শক্তি সঞ্চাৰৰ দৰে হৈছিল, ই তেওঁলোকৰ মনত কষ্ট দিছিল, কিন্তু লগে লগে ই তেওঁলোকক সজীৱ কৰিছিল। তেওঁ কৈছিল, "আমি কথা-চহকী

প্ৰভাবক নহওঁ ; জনসাধাৰণৰ সচেতনাক মাথোন আমি আমাৰ মূল কৰিব লাগিব আনকি, যদি আমি সংখ্যা লঘিষ্ঠ হৈ থকাৰ প্ৰয়োজন হয় তেনেহলে তেনে ই হৈ থাকিবলৈ দিব লাগিব। কিছুসময়ৰ কাৰণে নেতৃত্বৰ স্থান ত্যাগ কৰাটো ভাল কথা ; আমি সংখ্যা লঘিষ্ঠ হৈ থাকিবলৈ ভয় কৰিব নেলাগিব।" এইদৰে তেওঁ নিজৰ নীতিত নেৰানেপেৰাকৈ লাগি আছিল আপোচ মীমাংসা কৰিবলৈ অমান্তি হৈছিল। ইমান দিন বিপ্লৱটো নেতা আৰু পথ-প্ৰদৰ্শক নোহোৱাকৈ আপোনা আপুনি চলি আছিল, অৱশেষত ই ইয়াৰ নেতা পাইছিল। সময়ে মানুহজনৰ সৃষ্টি কৰিছিল।

এই পৰ্যায়ত তথ্য সম্পৰ্কত কিবিলাক পাৰ্থক্যই বলচেভিকবিলাকক মেনচেভিক আৰু বিপ্লৱী সমষ্টিবিলাকৰপৰা বেলেগ কৰিছিল ? আৰু লেনিন গৈ পোৱাৰ পূৰ্বে কিবিলাকে স্থানীয় বলচেভিকবিলাকক অকৰ্মণ্য কৰিছিল ? আকৌ চোভিয়েটে ক্ষমতা হস্তগত কৰাৰ পাছত পুৰণিকলীয়া আৰু ৰক্ষণশীল ডুমালৈ কিয় ক্ষমতা হস্তান্তৰ কৰিছিল ? এই প্ৰশ্নকেইটাৰ বিষয়ে মই গভীৰভাৱে আলোচনা কৰিব নোৱাৰোঁ ; কিন্তু ১৯১৭ খ্ৰীঃত পেট্ৰোগ্ৰাডত আৰু ৰুচিয়াত আচৰিতভাৱে পৰিৱৰ্তিত হৈ থকা অভিনয়টোৰ কথা বুজিবলৈ হলে আমি এই প্ৰশ্নকেইটাৰ বিষয়ে অলপ চিন্তা কৰিব লাগিব।

কাৰ্লমাৰ্ক্সৰ মানৱ জাতিৰ পৰিৱৰ্তন আৰু প্ৰগতি বিষয়ৰ তথ্যটোক 'বুৰঞ্জীৰ জড়বাদী বোধ' বোলা হয় ; পুৰণি সামাজিক ব্যৱস্থাবিলাক সময়ৰ লগত খাপ নোখোৱা হোৱাত যিবিলাক নতুন ব্যৱস্থাই সেইবিলাকৰ ঠাই লৈছিল, সেইবিলাক এই তথ্যটোৰ মূল আছিল। কাৰিকৰী কৌশলেৰে উৎপাদন কৰাৰ পদ্ধতিবিলাক উন্নত হোৱাৰ লগে লগে সমাজৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক সংগঠন ক্ৰমে সেইবিলাকৰ লগত মিলিছিল গৈ। এনে মিলনৰ উপায়টো আছিল আধিপত্য চলোৱা শ্ৰেণীটোৰ লগত শোষিত শ্ৰেণীবিলাকৰ অবিৰতভাৱে চলা শ্ৰেণী-সংগ্ৰাম। পশ্চিম ইউৰোপত এইদৰে 'বুৰ্জোৱা' বা মধ্যবিত্তৰ শ্ৰেণীটোৱে প্ৰাচীন সামন্ত শ্ৰেণীটোৰ ঠাই অধিকাৰ কৰিছিল আৰু সেই শ্ৰেণীটোৱে ইংলেণ্ড, ফ্ৰান্স, জাৰ্মাণী আদি দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক গাঁঠনিত আধিপত্য কৰিছিল, এই শ্ৰেণীটো যেতিয়া ম্লান পৰিব তেতিয়া ই বনুৱা শ্ৰেণীক ঠাই এৰি দিব। ৰুচিয়াত সামন্ত শ্ৰেণীটোৰ তেতিয়াও আধিপত্য আছিল আৰু যি পৰিৱৰ্তনে পশ্চিম য়ুৰোপত 'বুৰ্জোৱা' বা মধ্যবিত্তৰ শ্ৰেণীটোক ক্ষমতাত অধিষ্ঠিত কৰিছিল, ৰুচিয়াত সেই পৰিৱৰ্তন তেতিয়াও হোৱা নাছিল। সেই কাৰণে অতি সৰহসংখ্যাৰ মাৰ্ক্সবাদীয়ে ভাবিছিল যে ৰুচিয়াই শ্ৰমিকৰ গণৰাষ্ট্ৰৰ শেষৰ স্তৰটোলৈ আগুৱাই যোৱাৰ আগতে সেই অনিবাৰ্য ভাৱে মধ্যবিত্ত শ্ৰেণীৰ আৰু সংসদী খাপটো জাপ মাৰি হেৰাই যাব নোৱাৰিব। ১৯১৭ খ্ৰীঃৰ বিপ্লৱৰ পূৰ্বে লেনিনে নিজেও মধ্যবিত্তৰ বিপ্লৱ এটাৰ কাৰণে জাৰ আৰু জমিদাৰবিলাকৰ বিৰুদ্ধে কৃষকবিলাকৰ লগত সহযোগ কৰাৰ (আৰু মধ্যবিত্তবিলাকৰ বিৰুদ্ধে নোযোৱাৰ) মধ্যবৰ্তী নীতি এটা ঘোষণা কৰিছিল।

সেই কাৰণে বলচেভিক, মেনচেভিক আৰু মাৰ্ক্সৰ তথ্যত বিশ্বাসী সক-

লোৱে বন ইংলেণ্ড আৰু ক্ৰান্সৰ ঢাদেকীৰ মধ্যবিত্তৰ গণতান্ত্ৰিক গণৰাষ্ট্ৰ এখন লাভ কৰাৰ ভাবেৰে পৰিপূৰ্ণ হৈ আছিল। শ্ৰমিকৰ নেতৃস্থানীয় প্ৰতিনিধিবিলাকেও ইয়াক অৱশ্যম্ভাবী বুলি ভাবিছিল আৰু সেই কাৰণে চোভিয়েটে নিজৰ হাতত ক্ষমতা নাৰাখি জুমাৰ ওচৰলৈ গৈ সেই সংসদখনৰ হাতত ইয়াক সমৰ্পন কৰিছিল। অতি সময়ে আমাৰ সকলোৰে সম্পৰ্কত হোৱাৰ দৰে এই মানুহবিলাক তেওঁলোক নিজৰ মতৰ গোলাম হৈছিল (তাৰ বিৰুদ্ধে যাবলৈ তেওঁলোকৰ শক্তি নোহোৱা হৈছিল)। আৰু তেওঁলোকে বুজিব নোৱাৰিছিল যে নতুন এটা অৱস্থাৰ উদ্ভৱ হৈছিল, য'ত বেলেগ এটা নীতিৰ নাইবা পুৰণি নীতিটোকে বিভিন্ন প্ৰকাৰে খাপ খুৱাই প্ৰয়োগ কৰাৰ নিতান্ত প্ৰয়োজন হৈছিল। নেতাবিলাকতকৈ জনসাধাৰণ বেছি বিপ্লৱী আছিল। মেনচেভিকবিলাকে চোভিয়েট আধিপত্য কৰিছিল, তেওঁলোকে এনে কথা কৈছিল যে সেইকালত বনুৱাশ্ৰেণীয়ে কোনো সামাজিক প্ৰশ্ন তোলা উচিত নহয়, ৰাজনৈতিক মুক্তি লাভ কৰাহে তেওঁলোকৰ তৎকালীন কাম আছিল। বলচেভিকবিলাকে সময়ৰ শৰ মাৰিছিল। মাৰ্চৰ বিপ্লৱটোৰ সংশয়ী আৰু অতি সাৱধানী নেতাবিলাকৰ স্ব যেও ই কৃতকাৰ্য হৈছিল।

লেনিন গৈ পোৱাৰ লগে লগে এই সকলোবিলাকৰ পৰিৱৰ্তন হৈছিল। তেওঁ তৎক্ষণাৎ অৱস্থাটো বুজিছিল আৰু প্ৰকৃত নেতৃত্বৰ অসাধাৰণ প্ৰতিভাৰে তেওঁ সেই অৱস্থাৰ লগত খাপ খোৱাকৈ মাৰ্ক্সীয় কাৰ্যতালিকা স্থিৰ কৰিছিল। সেই কালত সংগ্ৰামটো হৈছিল বনুৱা শ্ৰেণীৰ বাজত্বৰ অৰ্থে তেওঁলোকতকৈ বেছি দুখীয়া খেতিয়ক শ্ৰেণীৰ সহযোগত পুঁজিবাদৰ বিৰুদ্ধে সংগ্ৰাম। বলচেভিকবিলাকৰ তৎকালীন সংগ্ৰামধ্বনি তিনিটা আছিল (১) গণতান্ত্ৰিক গণৰাষ্ট্ৰ, (২) জমিদাৰীবিলাক বাজেয়াপ্ত কৰা আৰু (৩) বনুৱাবিলাকৰ দিনে আঠ ঘণ্টা কাম। এই সংগ্ৰামধ্বনিকেইটাই খেতিয়ক আৰু বনুৱাবিলাকৰ কাৰণে সংগ্ৰামটোত তৎক্ষণাৎ বাস্তৱতা আনিছিল। তেওঁলোকৰ কাৰণে ই অস্পষ্ট আৰু মূল্যহীন আদৰ্শ নাছিল, ইয়াৰ অৰ্থ হৈছিল জীৱন আৰু আশা।

লেনিনৰ নীতি আছিল বলচেভিকবিলাকে সংখ্যা গৰিষ্ঠ বনুৱাক তেওঁলোকৰ ফলীয়া কৰি সেই উপায়েৰে চোভিয়েটখনত আধিপত্য কৰা আৰু তাৰ পাছত চোভিয়েটে অস্থায়ী চৰকাৰৰ হাতৰ পৰা ক্ষমতা অধিকাৰ কৰা। তেওঁ শীঘ্ৰে আন এটা বিপ্লৱ হোৱাৰ পক্ষপাতী নাছিল। অস্থায়ী চৰকাৰ ভাঙি দিয়াৰ সময় হোৱাৰ আগতে সংখ্যা গৰিষ্ঠ বনুৱাক আৰু চোভিয়েটখনক তেওঁৰ ফলীয়া কৰিবলৈ নেৰানেপেৰাকৈ লাগিছিল। যিবিলাকে চৰকাৰৰ লগত সহযোগ কৰিবলৈ ইচ্ছা কৰিছিল, তেওঁলোকৰ প্ৰতি তেওঁ কঠোৰ আছিল, তেনে সহযোগ বিপ্লৱৰ প্ৰতি বিশ্বাসঘাতকতা আছিল। যিবিলাকে এই চৰকাৰটো ভাঙি দিয়াৰ উপযুক্ত সময় লৌহওঁতেই ইয়াক ভাঙিবলৈ হবাহুবাকৈ আগুৱাই যাব খুজিছিল ; তেওঁলোকৰ প্ৰতিও তেওঁ সমানে কঠোৰ আছিল ; তেওঁ কৈছিল, "কাযৰ মুহূৰ্ত এটাত আগুহতীয়াকালে এখানখানো অনুচিতভাৱে দূৰলৈ লক্ষ্য কৰাৰ সময় নহয়। তেনে কৰাক আমি আটাইতকৈ ডাঙৰ অপৰাধ আৰু সংগঠন নাশ কৰা বুলি বিবেচনা কৰোঁ।"

এইদৰে এটা অনিবাৰ্য অদৃষ্ট সাধন কৰা শক্তিৰ দৰে বৰফৰ এই দ'মটো জলি থকা জুই একুৰা ঢাকি ৰাখি শান্তভাৱে কিন্তু অপৰিৱৰ্তনীয়ভাৱে ইয়াৰ নিৰ্দিষ্ট লক্ষ্যস্থানলৈ আগুৱাই গৈছিল।

১৫১
বলচেভিকবিলাকে ক্ষমতা কাঢ়ি লয়

৯ এপ্রিল, ১৯৩৩

বিপ্লৱ একোটা চলি থকা কালত বুৰঞ্জীয়ে সাধুকথাৰ দৈত্য বুট জোতাৰে খোজেপতি সাত লিগ (২১ মাইল) যোৱাৰ দৰে আচম্বিত বেগেৰে খোজ লয় যেন লাগে। বাহিৰত দ্ৰুত পৰিৱৰ্তন হয়, কিন্তু তাতেতোকৈ বেছি পৰিৱৰ্তন হয় জনসাধৰণৰ চেতনাত। তেওঁলোকে কিতাপৰপৰা নিশিকে, কাৰণ কিতাপৰ পৰা শিক্ষালাভ কৰাৰ সুযোগ তেওঁলোকে বেছি নেপায়; আৰু কিতাপে জনোৱাতকৈ বহুত সময়ত বেছিকৈ লুকুৱাইহে। অভিজ্ঞতাৰ পৰা শিকা বেছি কষ্টকৰ কিন্তু বেছি প্ৰকৃত অভিজ্ঞতাহে তেওঁলোকৰ শিক্ষা ক্ষেত্ৰ। যিবিলাক ছদ্মবেশেৰে মানুহে সাধাৰণতে তেওঁলোকৰ মনৰ ভাব লুকাই ৰাখে বিপ্লৱ একোটাৰ সময়ত ক্ষমতা লাভৰ কাৰণে প্ৰাণটাকি সংগ্ৰাম চলাই থকা কালত সেইবিলাক ছদ্মবেশ খহি পৰে আৰু সেইবিলাকৰ অন্তৰালত থকা যি বাস্তৱতাক ভেঁটি কৰি সমাজ বৰ্তি থাকে, তাক দেখাপোৱা হয়। এইদৰে ১৯১৭ খ্ৰীঃৰ ৰুচিয়াৰ ভাগ্যনিৰ্ণয়ৰ এই বছৰটোত সেই দেশৰ জনসাধৰণে বিশেষকৈ নগৰবিলাকৰ উদ্যোগত কাম কৰা যিবিলাক বনুৱাই বিপ্লৱটোত প্ৰধান অংশ গ্ৰহণ কৰিছিল, ঘটনাবিলাকৰ শিক্ষা আহৰণ কৰি তেওঁলোকে প্ৰায় দিনে পৰিৱৰ্তিত হৈছিল।

ক'তো স্থিৰতা বা ভাৰসাম্য নাছিল। জীৱন গতিশীল আৰু পৰিৱৰ্তনশীল আছিল, আৰু জনসাধৰণ আৰু শ্ৰেণীবিলাকে বেলেগ বেলেগ দেশলৈ টনা-আজোৰা কৰিছিল। তেতিয়াও এনে অনেক মানুহ আছিল যিবিলাকে জাৰৰ ৰাজত্ব পুনৰ হোৱাৰ আশা কৰি তাৰ কাৰণে ষড়যন্ত্ৰ কৰিছিল, কিন্তু তেওঁলোক কোনো এটা প্ৰধান শ্ৰেণীৰ প্ৰতিনিধি নাছিল, সেইকাৰণে আমি তেওঁলোকৰ কথা বাদ দিব পাৰোঁ। প্ৰধান সংঘৰ্ষটো হৈছিল অস্থায়ী চৰকাৰ আৰু চোভিয়েটৰ মাজত; আৰু তথাপিও চোভিয়েটৰ সংখ্যা গৰিষ্ঠ মানুহ চৰকাৰৰ লগত সহযোগ আৰু আপোচ মীমাংসাৰ পক্ষপাতী আছিল। যিবিলাক মানুহে আপোচ মীমাংসাৰ কাৰণে ব্যাগ্ৰ আছিল, তেওঁলোক চৰকাৰৰ আৰু ৰাষ্ট্ৰীয় ক্ষমতা চলোৱাৰ দায়িত্বত অধিষ্ঠিত হ'বলৈ ভয় কৰিছিল। চোভিয়েটত এজন বক্তাই কৈছিল, 'চৰকাৰটোৰ ঠাই কোনে ল'ব? আমি? কিন্তু আমাৰ হাত কঁপে............' ভাৰতবৰ্ষতো কঠৰ হাত আৰু ভয়াতুৰ অন্তৰ থকা বহুত মানুহৰপৰা এই চিৎকাৰটো শুনি

গুনি আমাৰ ইয়াৰ লগত ভালকৈ পৰিচয় হৈছে। কিন্তু যেতিয়া সবল হাত আৰু সুদৃঢ় অন্তৰ লগাৰ সময় আহে, তেতিয়া তেনে হাত আৰু অন্তৰৰ অভাৱ নহয়।

যদিও আপোচ মীমাংসা বিচৰা দুয়োপক্ষৰ মানুহবিলাকে অস্থায়ী চৰকাৰ আৰু চোভিয়েটৰ মাজত সংঘৰ্ষটোৰ হাত সাৰিবলৈ বৰকৈ চেষ্টা কৰিছিল, তথাপি সেই সংঘৰ্ষ অনিবাৰ্য হৈছিল।- চৰকাৰটোৱে বিশ্বযুদ্ধখন চলাই থাকি আৰু ৰুচিয়াৰ সম্পত্তিশালী শ্ৰেণীবিলাকৰ সা-সম্পত্তি পাৰে মানে ৰক্ষা কৰি সেই শ্ৰেণী-বিলাক দেশত চলাই ৰাখি মিত্ৰশক্তিবিলাকক সন্তুষ্ট কৰিব খুজিছিল। জনসাধ-ৰণৰ লগত বেছি সম্পৰ্ক থকা চোভিয়েট জনসাধৰণৰ শান্তিৰ দাবী, খেতিয়কৰ কাৰণে মাটিৰ দাবী আৰু বনুৱাবিলাকৰ দৈনিক আঠ ঘণ্টাকৈ কামকৰা আদি কৰি নানা দাবীৰ কথা বুজিব পাৰিছিল। এইদৰে ঘটনাক্ৰমে চোভিয়েট চৰকাৰক অকামিলা কৰিছিল আৰু জনসাধৰণে চোভিয়েটকো অকামিলা কৰিছিল, কাৰণ দলবিলাক আৰু সেইবিলাকৰ নেতাবিলাকতকৈ জনসাধৰণ বহুত বেছি বিপ্লৱী আছিল।

চৰকাৰটোক চোভিয়েটৰ কাৰ্য-পদ্ধতিৰ বেছি ওচৰ চপাবলৈ এটা চেষ্টা চলোৱা হৈছিল, আৰু কেৰেনস্কি নামৰ এজন উগ্ৰগণতান্ত্ৰিক আইনজীৱী আৰু শ্ৰেষ্ঠ বাগ্মী চৰকাৰৰ প্ৰধান ব্যক্তি হৈছিল। তেওঁ সংযুক্ত চৰকাৰ এটা গঠন কৰাত কৃতকাৰ্য হৈছিল। চোভিয়েটত সংস্যাগৰিষ্ঠ হৈ থকা মেন-চেভিকবিলাকৰ কেইজনমান প্ৰতিনিধি সেই চৰকাৰৰ লগলৈ পঠিওৱা হৈছিল। তেওঁ জাৰ্মাণীৰ বিৰুদ্ধে আক্ৰমনাত্মক অভিযান এটা চলাই ইংলেণ্ড আৰু ফ্ৰান্সকো সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। সৈন্যবাহিনী আৰু জনসাধৰণৰ আৰু যুদ্ধ কৰি-বলৈ প্ৰবৃত্তি নথকাৰ কাৰণে সেই অভিযান ব্যৰ্থ হৈছিল।

ইতিমধ্যে পেট্ৰোগ্ৰাডত চোভিয়েটৰ সৰ্বৰুচীয় 'কংগ্ৰেছ' (জাতীয় মহা-সভা)ৰ অধিবেশনবিলাক পাতি থকা হৈছিল; আৰু প্ৰত্যেকটো পৰৱৰ্ত্তী অধি-বেশনতে তাৰ আগত বহা অধিবেশনতকৈ 'কংগ্ৰেছ' বেছি উগ্ৰ হৈছিল। সেই-বিলাক অধিবেশনলৈ ক্ৰমে ক্ৰমে বেছিকৈ বলচেভিক সভ্য নিৰ্বাচিত হৈছিল আৰু আধিপত্য চলোৱা দল দুটাৰ—মেনচেভিক আৰু সামাজিক বিপ্লৱীবিলাকৰ (এইটো কৃষকৰ দল) সংখ্যা গৰিষ্ঠতা ক্ৰমে কমি গৈছিল। বলচেভিকবিলাকৰ প্ৰভাৱ বিশেষকৈ পেট্ৰোগ্ৰাডৰ বনুৱাবিলাকৰ ওপৰত বাঢ়িছিল। দেশখনৰ সকলো ভাগতে চোভিয়েট সংগঠিত হৈছিল আৰু সেইবিলাকে চোভিয়েটে অনুমোদন কৰি চহী নকৰা চৰকাৰৰ কোনো আদেশকে নমনা হৈছিল। ৰুচিয়াত মধ্য-বিত্তৰ সবল শ্ৰেণী এটা নথকাটো অস্থায়ী চৰকাৰৰ দুৰ্বলতাৰ এটা কাৰণ আছিল।

ৰাজধানীত ক্ষমতাৰ কাৰণে সংগ্ৰাম চলি থকা কালত কৃষকবিলাকে নিজে আইন চলাইছিল। মই আগতে তোমাক কোৱাৰ দৰে এই কৃষকবিলাকে মাৰ্চৰ বিপ্লৱ সম্পৰ্কত বেছি উৎসাহী নাছিল, তেওঁলোক ইয়াৰ বিৰুদ্ধেও নাছিল। তেওঁ-লোকে অপেক্ষা কৰি লক্ষ্য কৰিছিল। কিন্তু বৃহৎ জমিদাৰী থকা জমিদাৰবিলাকে তেওঁলোকৰ ভূ-সম্পত্তি বাজেয়াপ্ত হ'ব বুলি ভয় কৰি তেওঁলোকৰ জমিদাৰীবিলাক সৰু সৰু খণ্ডত বিভক্ত কৰি সেইবিলাক তেওঁলোকৰ বহুতীয়া মানুহক নামমাত্ৰ গৰাকী কৰিছিল আৰু এই মানুহবিলাকে সেই ভাগবিলাক জমিদাৰৰ কাৰণে

ৰাখিছিল। এনে জমিদাৰবিলাকে এওঁলোকৰ ভূসম্পত্তিৰ বহুত ভাগ বিদেশীকো হস্তান্তৰ কৰিছিল। এইদৰে তেওঁলোকে তেওঁলোকৰ স্বষ্টি ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল। কৃষকবিলাকে এইবিলাক কাম সমূলি ভাল নেপাইছিল, আৰু তেওঁলোকে চৰকাৰী আদেশৰ দ্বাৰা মাটিৰ বিক্ৰি একেবাৰে বন্ধ কৰিবলৈ চৰকাৰক কৈছিল। চৰকাৰে ইতস্ততঃ কৰিলে; চৰকাৰে কি কৰিব ? ই কোনো পক্ষকে বিভক্ত কৰিব নুখুজিছিল। তেতিয়া কৃষকবিলাকে নিজে প্ৰতিবিধান কৰিবলৈ আৰম্ভ কৰিছিল। আগতীয়াকৈ এপ্ৰিল মাহতে তেওঁলোকৰ কিছুমানে তেওঁলোকৰ জমিদাৰবিলাকক বন্দী কৰি তেওঁলোকৰ জমিদাৰী অধিকাৰ কৰি ভগাই লৈছিল। ৰণাঙ্গণৰপৰা উলটি অহা সৈনিকবিলাকে (তেওঁলোকো অৱশ্যে কৃষক আছিল) এই বিষয়ত আগভাগ লৈছিল। এই আন্দোলন বাঢ়ি যোৱাত বিৰাট বিৰাট পৰিমাণে মাটি জুন মাহৰ সময়ত চাইবেৰীয়াৰ (ষ্টেপ' অনবাদী বিশাল সমভূমি) অঞ্চলবিলাকতো ইয়াৰ প্ৰভাৱ পৰিছিল। চাইবেৰীয়াত ডাঙৰ জমিদাৰ আছিল, সেইকাৰণে খেতিয়কবিলাকে গীৰ্জা আৰু মঠৰ নামত থকা মাটিবিলাকে অধিকাৰ কৰি লৈছিল।

মন কৰিলে কৌতূহল লগা কথা এই যে বৃহৎ জমিদাৰীবিলাক এইদৰে কাঢ়ি লোৱা কামটো বলচেভিক বিপ্লৱীৰ বহুত মাহৰ আগতে সম্পূৰ্ণে কৃষকবিলাকৰ উদ্যমত হৈছিল। লেনিন সংগঠিত পদ্ধতিৰে মাটিবিলাক কৃষকবিলাকলৈ হস্তান্তৰ কৰাৰ পক্ষপাতী আছিল। অৰাজক অৱস্থাত খেলিমেলিকৈ মাটি কাঢ়ি লোৱাৰ তেওঁ সম্পূৰ্ণ বিৰোধী আছিল। এইদৰে পিছত যেতিয়া বলচেভিকবিলাক ক্ষমতাত অধিষ্ঠিত হৈছিল, তেতিয়া তেওঁলোকে ৰুচিয়াক মাটিৰ গৰাকী হৈ থকা এখন দেশ স্বৰূপে পাইছিল।

লেনিন গৈ পোৱাৰ ঠিক এমাহৰ পাছত আন এজন নিৰ্বাসিত প্ৰধান মানুহ পেট্ৰোগ্ৰাডলৈ উলটি গৈছিল। তেওঁ আছিল ট্ৰটস্কি, তেওঁ নিউয়ৰ্কৰপৰা বাওঁতে বাটত বৃটিছে আবদ্ধ কৰি ৰখাৰ পাছত উলটি গৈছিল। ট্ৰটস্কি পুৰণি বলচেভিকবিলাকৰ এজন নাছিল, সেই কালত তেওঁ মেনচেভিকো নাছিল। কিন্তু শীঘ্ৰে তেওঁ লেনিনৰ পক্ষত যোগ দিছিল আৰু পেট্ৰোগ্ৰাডৰ চোভিয়েটৰ এজন প্ৰধান ব্যক্তি বুলি পৰিগণিত হৈছিল। তেওঁ শ্ৰেষ্ঠ বাগ্মী, উৎকৃষ্ট লিখক আৰু বিদ্যুৎবাহী যন্ত্ৰৰ লগত বহুত নদিমাণে মিলা প্ৰকৃতিৰ, কৰ্মশক্তিৰে পৰিপূৰ্ণ আছিল, আৰু লেনিনৰ দলটোৱে তেওঁৰপৰা আটাইতকৈ বেছি সহায় পাইছিল। তেওঁৰ 'মোৰ জীৱনী' নামৰ আত্ম-জীৱনীখনৰপৰা মই তোমাক বৰং দীঘলীয়া এছোৱা উদ্ধৃতি দিয়া উচিত হ'ব, 'মডাৰ্ণ চাৰকাচ' নামৰ অট্টালিকাটোত যিবিলাক সভাত তেওঁ বক্তৃতা দিছিল, সেই সভাবিলাকৰ বৰ্ণনা তেওঁ ইয়াত দিছে। ই অকল উৎকৃষ্ট ৰচনাই নহয়, ই আমাৰ চকুৰ আগত পেট্ৰোগ্ৰাডত ১৯১৭ খ্ৰীঃৰ বিপ্লৱৰ আচৰিত দিনবিলাকৰ এটা জীৱন্ত আৰু বুকু ধুকুধুকুৱা চিত্ৰ দাঙি ধৰে। তেওঁ কৈছে :

"উশাহ-নিশাহে আৰু অপেক্ষা কৰি থকাই উৎকট কৰি তোলা মানুহজনৰ চিঞৰ-বাখৰে আৰু 'মডাৰ্ণ চাৰকাচ'ৰ বৈশিষ্ট্য থকা চিৎকাৰে ভালকৈ বিদীৰ্ণ কৰিছিল। মোৰ মূৰৰ ওপৰত আৰু মোৰ চাৰিওকালে কিলাকুটী, বুকু আৰু

বুকুৰ ঠেলা হেঁচা হৈছিল। মানুহৰ শৰীৰৰ ওপৰত গঢ়ৰ এটাৰ মাজেৰেপৰা মই বক্তৃতা দিছিলোঁ ; যেতিয়াই মই মোৰ হাত মেলিছিলোঁ, তেতিয়াই মই কোনোবা এজনক চুইছিলোঁ আৰু তাৰ প্ৰত্যুত্তৰ স্বৰূপে কৃতজ্ঞতা প্ৰকাশক অঙ্গীভঙ্গী এবোটাৰে মোক জনোৱা হৈছিল যে মই লেইবাবে একো চিন্তা কৰিব নেলাগে, মোৰ বক্তৃতাটো স্থগিত ৰাখিব নেলাগে, মই বক্তৃতা দি থাকিবহে লাগে। অতি বেছিকৈ ক্লান্ত হলেও কোনো বক্তাই তাৰৰ তীব্ৰতাৰে উত্তেজিত হৈ ঠেলি-হেঁচি জুম বান্ধি থকা মানুহৰ সেই বিৰাট সমাৱেশটোৰ বিদ্যুৎ প্ৰবাহৰ দৰে তীব্ৰ অনুভূতিত বাধা জন্মাব নোৱাৰিছিল। তেওঁলোকে জানিবলৈ, বুজিবলৈ আৰু তেওঁলোকৰ পথ পাবলৈ বিচাৰিছিল। কোনো কোনো সময়ত এনে লাগিছিল যেন ঠাহ খাই জুম বান্ধি থকা যি জনতাটো একোটা গোটত লীন হৈ আছিল, সেই জনতাৰ কঠোৰ অনুসন্ধিৎসা মোৰ ওঁঠেৰে অনুভৱ কৰিছিলোঁ। তেতিয়া আগতে ভাবি-চিন্তি ঠিক কৰা সকলো যুক্তি আৰু সকলো ভাষা সহানুভূতিৰ অদম্য হেঁচাত ছেদেলি ভেদেলি হৈ মনৰপৰা সম্পূৰ্ণ বেহা লাগি ওলাই আহিছিল। এনেবিলাক ঘটনাৰ সময়ত মই, এনে অনুভৱ কৰিছিলোঁ যেন মই বাহিৰৰপৰা বক্তাজনৰ কথা শুনি তেওঁৰ মনৰ ভাবৰ লগত মোৰ মনৰ ভাব মিলাবলৈ চেষ্টা কৰিছিলোঁ আৰু মোৰ মনত এনে ভয় হৈছিল যেন মোৰ সচেতন যুক্তিৰ ধ্বনি শুনি বক্তাজনে টোপনিত খোজ কাঢ়ি ফুৰা মানুহ এজনৰ দৰে চালৰ দাঁতিৰপৰা তললৈ বাগৰি পৰিব।

“এনেকুৱাই আছিল ‘মডাৰ্ণ চাৰকাচ’। ইয়াৰ বিটো নিজস্ব ঠাঁচ আছিল, সি আছিল প্ৰচণ্ড, দৰদী আৰু উন্মত্ত। যিবিলাকৰপৰা অনুমোদনৰ বা ভয় দেখুৱাৰ চিৎকাৰ ধ্বনি ওলাইছিল, সেইবিলাকৰ বুকুত কেচুৱাই শান্তিৰে পিয়াহ খাই আছিল। সমগ্ৰ জনতাটোৰেই সেই কেচুৱাবিলাকৰ চিনি আছিল, তেওঁলোকৰ ওকাল ওঁঠেৰে কেচুৱাবিলাকৰ দৰে বিপ্লৱৰূপ পিয়াহটোৰ মুখত আচোৰ কাবোৰকৈ লাগি আছিল। কিন্তু সেই কেচুৱাটো নবাজৰিকৈ তাণ্ডৱ শীতল হৈছিল।”

এইদৰে পেট্ৰোগ্ৰাডত আৰু ৰুচিয়াৰ আন আন নগৰত আৰু গাওঁবিলাকত সকলো সময়তে পৰিবৰ্ত্তন হৈ থকা বিপ্লৱৰ অভিনয়টো চলি আছিল। কেঁচুৱাটো তাণ্ডৱ-শীতল হৈ ই বিৰাটাকাৰৰ হৈছিল। যুদ্ধখনৰ ভয়ঙ্কৰ আক্ৰোশৰ ফলত সকলো ঠাইতে অৰ্থনৈতিক পতন সুস্পষ্ট হৈছিল। তথাপি নাভৰ্খোৰবিলাকে তেওঁলোকৰ যুদ্ধৰ বজাৰৰ লাভ কৰি আছিল।

কাৰখানাবিলাকত আৰু চোভিয়েটবিলাকত বেলচেভিকৰ বল আৰু প্ৰভাৱ ক্ৰমে বাঢ়ি গৈছিল। কেৰেনস্কিয়ে এই কাৰণে ৰবৰকৈ ভয় খাই তেওঁলোকক দমন কৰিবলৈ সিদ্ধান্ত কৰিছিল। প্ৰথমতে লেনিনৰ বিৰুদ্ধে ঈৰ্ষামূলক অপবাদ প্ৰচাৰৰ এটা তাণ্ডৱ অভিযান চলোৱা হৈছিল, তেওঁক ৰুচিয়াত অশান্তিৰ সৃষ্টি কৰিবলৈ পঠোৱা জাৰ্মাণবিলাকৰ গুপ্তচৰ বুলি কোৱা হৈছিল। তেওঁ চুইজাৰলেণ্ডৰ পৰা জাৰ্মাণীৰ মাজেদি জাৰ্মাণ কৰ্ত্তৃপক্ষৰ পৰোক্ষ সন্মতিতে ৰুচিয়ালৈ অহা নাছিল নে ? মধ্যবিত্তৰ শ্ৰেণীবিলাকৰ মাজত লেনিন ভয়ঙ্কৰভাৱে অপ্ৰিয় হৈছিল ; তেওঁলোকে তেওঁক বিশ্বাসঘাতক বুলি বিবেচনা কৰিছিল। লেনিনক বিপ্লৱী

বুলি নহয়, জাৰ্মাণৰ পক্ষপাতী বিশ্বাসঘাতক বুলি বন্দী কৰিবলৈ কেৰেনস্কিয়ে এটা আদেশ জাৰী কৰিছিল। নিজে অভিযোগটো মিছা বুলি প্ৰমাণ কৰিবলৈ লেনিনে বিচাৰৰ সন্মুখীন হবলৈ ব্যগ্ৰ হৈছিল, কিন্তু তেওঁৰ সহকৰ্মীসকল এই কথাত মান্তি নহৈ তেওঁলোকে তেওঁক লুকাই থাকিবৰ অৰ্থে যাবলৈ বাধ্য কৰিছিল। ট্ৰটস্কিকো বন্দী কৰা হৈছিল, কিন্তু পেট্ৰোগ্ৰাডৰ চোভিয়েটে নেৰানেপেৰাকৈ ধৰাত পিছত তেওঁক মুক্তি দিয়া হৈছিল। আন বহুত বলচেভিকক বন্দী কৰা হৈছিল, তেওঁলোকৰ বাতৰিকাকতবিলাকৰ প্ৰকাশ বন্ধ কৰা হৈছিল, তেওঁলোকক নিৰস্ত্ৰ কৰা হৈছিল। অস্থায়ী চৰকাৰৰ প্ৰতি এই বনুৱাবিলাকৰ মনোবৃত্তি ক্ৰমে আক্ৰমণাত্মক আৰু ভীতি দৰ্শক হৈছিল আৰু বাৰে বাৰে এই চৰকাৰৰ বিৰুদ্ধে বিক্ষোভৰ বিৰাট প্ৰদৰ্শন হৈছিল।

যেতিয়া প্ৰতিবিপ্লৱৰ মূৰ দাঙি উঠিছিল, তেতিয়া এই দুই পক্ষৰ অভিনয়ত বাধা দিয়া বেলেগ এটা সৰু অভিনয় হৈছিল। কৰ্নিলভ নামে বৃদ্ধ সেনাপতি এজনে সমস্ত বিপ্লৱটোক আৰু লগতে অস্থায়ী চৰকাৰটোকো দমন কৰিবৰ অৰ্থে এটা সৈন্যবাহিনী লগত লৈ ৰাজধানীৰ ফালে আগুৱাই গৈছিল। তেওঁ নগৰখনৰ ওচৰ চপাৰ লগে লগে সৈন্য বাহিনীটো পমি নাইকিয়া হৈছিল। ই বিপ্লৱৰ পক্ষ লৈছিল।

ঘটনাবিলাক দ্ৰুত গতিৰে আগুৱাই গৈছিল। চোভিয়েটখনে নিশ্চিতৰূপে চৰকাৰটোৰ প্ৰতিদ্বন্দ্বী হৈ সঘনে চৰকাৰৰ আদেশ বাতিল কৰিছিল নাইবা বিপৰীত নিৰ্দেশ জাৰি কৰিছিল। সেই সময়ত 'স্মলনি ইনষ্টিটিউট' নামৰ অট্টালিকাটোৰ চৌহদত চোভিয়েটৰ কাৰ্যালয় আৰু পেট্ৰোগ্ৰাডৰ বিপ্লৱৰ প্ৰধান কাৰ্যালয় আছিল। এই অট্টালিকাটোৰ চৌহদত আগতে সম্ভ্ৰান্ত লোকৰ ছোৱালীৰ এখন বেচৰকাৰী স্কুল আছিল।

লেনিন পেট্ৰোগ্ৰাডৰ দাঁতি কাষৰীয়া ঠাইলৈ আহিছিল আৰু বলচেভিক বিলাকে সিদ্ধান্ত কৰিছিল যে অস্থায়ী চৰকাৰৰ হাতৰপৰা ক্ষমতা কাঢ়ি লোৱাৰ সময় হৈছিল। বিদ্ৰোহটোৰ কাৰণে সকলো ব্যৱস্থা কৰিবলৈ ট্ৰটস্কিক ভাৰ দিয়া হৈছিল, আৰু কোনবিলাক গুৰুত্বপূৰ্ণ বিষয় কেতিয়া কাঢ়ি লোৱা হ'ব সকলোবিলাক কথাৰ সাৱধানে পৰিকল্পনা কৰি লোৱা হৈছিল। নবেম্বৰৰ ৭ তাৰিখটো বিদ্ৰোহৰ বাবে বাছি লোৱা হৈছিল। সেইদিনা সৰ্বৰুচীয় চোভিয়েটবিলাকৰ 'কংগ্ৰেছ'ৰ (মহাসভাৰ) অধিবেশন বহাৰ কথা আছিল। লেনিনে এই দিনটো স্থিৰ কৰিছিল আৰু ইয়াৰ যিটো কাৰণ তেওঁ দিছিল, সেইটো কৌতুহলজনক। তেওঁ এনেকৈ কোৱা বুলি জনা গৈছে: "নবেম্বৰৰ ৬ তাৰিখটো অনুচিতভাৱে আগতীয়া হ'ব। সৰ্বৰুচীয় ভেটিত আমি বিদ্ৰোহ এটা কৰিব লাগিব, আৰু ৬ তাৰিখে কংগ্ৰেছৰ সকলোবিলাক প্ৰতিনিধি আহি নেপাব। সিফালে ৮ তাৰিখটো অনুচিতভাৱে পলম হ'ব। সেই দিনৰ সময়ত 'কংগ্ৰেছ'-খন সংগঠিত কৰা হৈ যাব, আৰু মানুহৰ বিৰাট সমূহ এটাৰ কাৰণে দ্ৰুত আৰু চূড়ান্ত কাম কৰা টান হয়। যিদিনা 'কংগ্ৰেছ'ৰ অধিবেশন বহিব, সেই অধিবেশনত আমি কাম কৰিব লাগিব, যাতে আমি 'কংগ্ৰেছ'ক কব পাৰোঁ, ক্ষমতা এয়া

কাঢ়ি আনিলোঁ। আপোনালোকে ইয়াক কেনেকৈ ব্যৱহাৰ কৰিব খোজে ?" বিপ্লৱ সৃষ্টিত বিশেষজ্ঞ তীক্ষ্ণ বুদ্ধিসম্পন্ন লোকজনে বৰ ভালকৈ জানিছিল যে দেখাত নগণ্য ঘটনাৰ ওপৰতে সঘনে বিপ্লৱৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে, সেই কাৰণে তেওঁ তেনেকৈ কৈছিল।*

৭ নবেম্বৰৰ দিনটো আহিলত চোভিয়েটৰ সৈন্যবিলাক ওলাই ‌ হৈ তেওঁলোকে চৰকাৰী ঘৰবিলাক, বিশেষ টেলিগ্ৰাফ্ অফিচ, টেলিফোন বিনিময়ৰ কাৰ্যালয়, ৰাষ্ট্ৰীয় 'বেঙ্ক' আদি গুৰুত্বপূৰ্ণ আৰু সামৰিক গুৰুত্ব থকা স্থানবিলাক অধিকাৰ কৰিছিল। সেই কামত কোনেও বিৰোধিতা কৰা নাছিল। বৃটিছ প্ৰতিনিধি এজনে ইংলেণ্ডলৈ পঠিওৱা চৰকাৰী প্ৰতিবেদন এটাত কৈছিল, "অস্থায়ী চৰকাৰ অতি সহজতে চিন চাব নোহোৱা হ'ল।"

লেনিন নতুন চৰকাৰটোৰ অধিনায়ক, ৰাষ্ট্ৰপতি হৈছিল আৰু ট্ৰট্‌স্কি বৈদেশিক মন্ত্ৰী হৈছিল। পিচদিনা ৮ নবেম্বৰত লেনিন স্মলনি ইনষ্টিটিউটৰ চোভিয়েট কংগ্ৰেছলৈ গ'ল। তেতিয়া গধূলি হৈছিল। কংগ্ৰেছে বিপুল হৰ্ষধ্বনিৰে নেতা-জনক অভ্যৰ্থনা জনালে। এই সময়ত আমেৰিকান সাংবাদিক ৰিড তাত উপস্থিত আছিল, 'মহৎ লেনিন' যেতিয়া মঞ্চলৈ আগুৱাই গৈছিল, তেতিয়া তেওঁক কেনে দেখা গৈছিল তাৰ বৰ্ণনা সাংবাদিকজনে এইদৰে দিছে :

"চাপৰ আৰু গাঁঠলু মানুহজনৰ মূৰটো ... আৰু বহল কান্ধ দুটাৰ ওপৰত এটা শকত মূৰ আটিলকৈ লগা। চকু দুটা সৰু, নাকটো অলপ ভোটা, মুখখন বহল ; থুতৰিটো ওলোটা ; এতিয়া তেওঁৰ দাঁৰি গোঁফ সম্পূৰ্ণে খুৰুৱা, কিন্তু তেওঁৰ অতীত কালত আৰু ভৱিষ্যতত বিখ্যাত হোৱা দাঁৰি ইতিমধ্যে থুতৰিয়াৰলৈ আৰম্ভ কৰিছে। জলহু সাজপাৰ কৰা মানুহজনৰ পাইজামাটো তেওঁৰ কাৰণে বেছি দীঘল। বিশৃঙ্খল জনতাৰ অসাধাৰণ ভক্তিৰ পাত্ৰ হবৰ কাৰণে তেওঁৰ চেহেৰা মনত লগা নহয়। এইজন আচৰিত জনপ্ৰিয় নেতা—অকল প্ৰজ্ঞাৰ গুণত হোৱা নেতা, আড়ম্বৰহীন, অচঞ্চল, নিজৰ নীতিত চলৰ-অচৰ উদাৰ আৰু নিজস্ব কোনো দেখনিয়াৰ ভাবভঙ্গী নথকা, কিন্তু গভীৰ ভাবিবিলাক সহজ ভাষাত ব্যাখ্যা কৰাৰ আৰু বাস্তৱ অৱস্থা একোটা বিশ্লেষণ কৰাৰ তেওঁৰ শক্তি আছে। আৰু তেওঁৰ তীক্ষ্ণ বিচাৰবোধৰ লগত অত্যধিক মানসিক সাহসৰ সংযোগ হৈছে।"

বছৰটোৰ ভিতৰত হোৱা দ্বিতীয় বিপ্লৱটো কৃতকাৰ্য হৈছিল আৰু যেতিয়া-

---

* লেনিনে নবেম্বৰৰ ৭ তাৰিখটো বলচেভিকবিলাকে ক্ষমতা কাঢ়ি লোৱাৰ দিন স্থিৰ কৰাৰ এই কাহিনীটো আমেৰিকান সাংবাদিক ৰিডৰপৰা পোৱা হৈছে, তেওঁ সেই সময়তে পেট্ৰোগ্ৰাডত উপস্থিত আছিল। কিন্তু তাত উপস্থিত থকা আন আন মানুহে এই কাহিনীটো সমৰ্থন নকৰে। লেনিন লুকাই আছিল আৰু তেওঁ ভয় কৰিছিল আন আন বলচেভিক নেতাসকল অৱস্থাৰ বশৱৰ্তী হৈ তেওঁ-লোকে ঠিক সময়টো পাৰ হৈ যাবলৈ দিব পাৰে। সেই কাৰণে তেওঁ কামটো কৰিবলৈ তেওঁলোকক নেৰানেপেৰাকৈ সকিয়াই আছিল। ৭ তাৰিখে ঘটনাই চূড়ান্ত অৱস্থা পোৱাত সেইদিনা বিদ্ৰোহটো হৈছিল।

নৈকে ই অসাধাৰণভাৱে শান্তিপূৰ্ণ বিপ্লৱ আছিল। অতি কম ৰক্তপাতেতে ক্ষমতা হস্তান্তৰৰ কাম সংঘটিত হৈছিল। মাৰ্চত বেছি যুদ্ধ আৰু হত্যা হৈছিল। মাৰ্চৰ বিপ্লৱটো আপোনাআপুনি হোৱা আৰু সংগঠনহীন আছিল, নবেম্বৰৰটো সাৱধানে পৰিকল্পিত আছিল। বুৰঞ্জীত প্ৰথমবাৰৰ কাৰণে আটাইতকৈ বেছি দুখীয়া শ্ৰেণীবিলাকৰ, বিশেষকৈ উদ্যোগত কাম কৰা বনুৱাবিলাকৰ প্ৰতিনিধিবিলাকে দেশ এখনত শ্ৰেষ্ঠ কৰ্তৃত্ব চলোৱাৰ অধিকাৰ পাইছিল। কিন্তু তেওঁলোকে ইমান সহজতে কৃতকাৰ্যতা ভোগ কৰিবলৈ নেপাইছিল। অদম্য উন্মাদনাৰে তেওঁলোকৰ ওপৰত পৰি তেওঁলোকক চূড়মাৰ কৰিবৰ কাৰণে তেওঁলোকৰ চাৰিওকালে হিংসাত্মক আলোড়নৰ আয়োজন হৈছিল।

লেনিন আৰু তেওঁৰ বলচেভিক চৰকাৰ কি অৱস্থাৰ সন্মুখীন হৈছিল? যদিও ৰুচ বাহিনী ছেদেলি ভেদেলি হৈছিল আৰু যুদ্ধ কৰাৰ কোনো সম্ভাৱনা নাছিল, তথাপি জাৰ্মাণ যুদ্ধখন তেতিয়াও চলি আছিল , দেশখনৰ সকলো ভাগতে বিশৃংখলা হৈছিল আৰু অনাই বনাই ঘূৰি ফুৰা সৈনিক আৰু ডকাইতবিলাকে নিজে যি ভাল পাইছিল তাকে কৰি ফুৰিছিল ; অৰ্থনৈতিক গাঁথনি সম্পূৰ্ণৰূপে ভাগিছিল ; খাদ্য সামগ্ৰীৰ নাটনি হৈছিল আৰু মানুহবিলাক হৈছিল ক্ষুধাতুৰ। তেওঁৰ কেউফালে বিপ্লৱটোক সম্পূৰ্ণ দমন কৰিবলৈ সাজু হৈ থকা পুৰণি ব্যৱস্থাৰ প্ৰতিনিধিবিলাক আছিল ; ৰাষ্ট্ৰৰ সংগঠনো পুঁজিবাদী আছিল আৰু অতি সৰহ সংখ্যাৰ পুৰণি চৰকাৰী কৰ্মচাৰী নতুন চৰকাৰৰ লগত সহযোগ কৰিবলৈ অমান্তি হৈছিল ; বেংকৰ মালিকবিলাকে ধন দিব নুখুজিছিল ; আন কি, টেলিগ্ৰাফ অফিচে টেলিগ্ৰাম নপঠাইছিল। আটাইতকৈ বেছি সাহসী মানুহকো ভয় খুওৱাব পৰাকৈ টান অৱস্থা আছিল।

লেনিন আৰু তেওঁৰ সহকৰ্মীসকলে সৰ্বান্তঃকৰণে চেষ্টা কৰিছিল। তেওঁলোকৰ চিন্তা হৈছিল জাৰ্মাণীৰ লগত সন্ধি কৰা, আৰু তেওঁলোকে তৎক্ষণাৎ যুদ্ধ বিৰতিৰ ব্যৱস্থা কৰিছিল। দুয়োখন দেশৰ প্ৰতিনিধি ব্ৰেষ্ট-লিটোভস্কত গোট খাইছিল। জাৰ্মাণবিলাকে যথেষ্ট ভালকৈ জানিছিল যে বলচেভিকবিলাকৰ যুদ্ধ কৰাৰ প্ৰবৃত্তি নাই, আৰু তেওঁলোকে অহঙ্কাৰ আৰু অবিবেচনাৰ বশবৰ্ত্তী হৈ ভয়ঙ্কৰভাৱে অপমানজনক দাবী কৰিছিল। বলচেভিকবিলাকে ধৰকৈ শান্তি বাঞ্ছা কৰিছিল, যদিও এই দাবীবিলাকৰ কথা শুনি তেওঁলোকে বিচুতি খাইছিল আৰু তেওঁলোকৰ বহুত মানুহ চৰ্ত্তবিলাক অগ্ৰাহ্য কৰাৰ পক্ষপাতী আছিল। লেনিন সকলো ক্ষতি স্বীকাৰ কৰি হলেও শান্তি লাভৰ সপক্ষে আছিল। কাহিনী এটা আছে যে শান্তি সন্মিলনত ট্ৰটস্কি ৰুচ প্ৰতিনিধিবিলাকৰ এজন আছিল, জাৰ্মাণবিলাকে তেওঁক গধূলিৰ সাজপাৰ কৰি উৎসৱ এটালৈ যাবলৈ কৈছিল। তেওঁ উদ্বিগ্ন হৈ পৰিছিল ; বনুৱাৰ প্ৰতিনিধি এজনৰ কাৰণে তেনে প্ৰকাৰৰ 'বুৰ্জোৱা' বা মধ্যবিত্তৰ সাজ পিন্ধা উচিত হব নে? তেওঁ উপদেশ বিচাৰি লেনিনলৈ টেলিগ্ৰাম কৰিছিল আৰু লেনিনে তৎক্ষণাৎ এইবুলি উত্তৰ দিছিল, "শান্তি অহাত যদি সহায় হয়, তেনেহ'লে 'পেটিকোট' পিন্ধি যাওক।"

চোভিয়েটে বেভিয়া সন্ধিৰ চৰ্ত্তবিলাকৰ বিষয়ে তৰ্কাতৰ্কি চলাই আছিল,

জেভিয়া জাৰ্মাণবিলাকে পেট্ৰোগ্ৰাডৰ অভিমুখে যুদ্ধ যাত্ৰা আৰম্ভ কৰিছিল আৰু তেওঁলোকে শান্তিৰ প্ৰস্তাৱটো আগতকৈও বেছি কঠোৰ কৰিছিল। চোভিয়েটে শেহান্তৰত লেনিনৰ উপদেশ গ্ৰহণ কৰি, সন্ধিৰ চৰ্ত্তবোৰ বৰকৈ ঘিণ কৰা স্বত্বেও ১৯১৮ খ্ৰীঃৰ মাৰ্চ মাহত ব্ৰেষ্ট লিটোভস্কত সন্ধিপত্ৰত চহী কৰিছিল। এই সন্ধিমতে ৰুচিয়াৰ পশ্চিমকালৰ বৰ বহল এটা অঞ্চল জাৰ্মাণীয়ে অধিকাৰ কৰিছিল, কিন্তু সকলো ক্ষতি স্বীকাৰ কৰি শান্তিৰ প্ৰস্তাৱত মান্তি হ'ব লাগিছিল, কাৰণ লেনিনৰ মতে "সৈন্যবাহিনীটোৱে শান্তিৰ সপক্ষে মত দিছিল।"

চোভিয়েটে প্ৰথমতে বিশ্বযুদ্ধখনত জড়িত থকা আটাইকেইটা শক্তিৰ মাজত সাধাৰণভাৱে শান্তি প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ ক্ষমতা কাঢ়ি লোৱাৰ পিছদিনাই পৃথিৱীলৈ শান্তিৰ প্ৰস্তাৱ আগবঢ়াই এটা ঘোষণা প্ৰচাৰ কৰিছিল আৰু জাৰৰ দিনৰ সকলোবিলাক গোপন সন্ধিৰ দায়িত্ব তেওঁলোকে অস্বীকাৰ কৰাৰ কথা স্পষ্টভাৱে জনাই দিছিল। তেওঁলোকে কৈছিল যে কনষ্টাণ্টিনোপল তুৰ্কী-বিলাকৰ হৈ থাকিব লাগিব আৰু আন কোনো ৰাজ্য অধিকাৰ কৰা উচিত নহ'ব। চোভিয়েটৰ পৰামৰ্শলৈ অলপো সহাৰি দিয়া নহৈছিল; কাৰণ যুদ্ধ চলাই থকা দুয়োটা পক্ষই তেতিয়াও কৃতকাৰ্যতাৰ আশা কৰিছিল আৰু যুদ্ধত জিকিলে লুট লব পৰা লাভ পাবলৈ ব্যগ্ৰ হৈ আছিল। নিসন্দেহে চোভিয়েটে কৰা প্ৰস্তাৱটোৰ আংশিক অৰ্থ আছিল প্ৰচাৰ কাৰ্য তেওঁলোকে প্ৰত্যেকখন দেশৰ জনসাধাৰণ আৰু যুদ্ধত জুকলা হোৱা সৈনিকবিলাকক প্ৰভাৱিত কৰি আন দেশবিলাকত সামাজিক বিপ্লৱত উদগনি দিবলৈ বিচাৰিছিল। কাৰণ তেওঁলোকে পৃথিৱী ব্যাপি বিপ্লৱ হোৱাটো আগ্ৰহ কৰিছিল; তেওঁলোকে ভাবিছিল যে অকল এইদৰেহে তেওঁলোকে নিজৰ বিপ্লৱটো নিৰাপদ কৰিব পাৰিব। মই তোমাক আগতে কৈছোঁ যে চোভিয়েটৰ প্ৰচাৰ কাৰ্যৰ ফলত কৰাচী আৰু জাৰ্মাণ সৈন্যবাহিনী বৰ বিচলিত বেছি হৈছিল।

লেনিনে জাৰ্মাণীৰ লগত ব্ৰেষ্ট লিটোভস্কত কৰা সন্ধিটো অস্থায়ী ব্যৱস্থা বুলি ভাবিছিল আৰু সেই ব্যৱস্থা বেছিদিন নেথাকিব বুলি ভাবিছিল, ঘটনাক্ৰমে ন মাহৰ পাছত পশ্চিম ৰণাঙ্গনত মিত্ৰ শক্তিয়ে জাৰ্মাণীক পৰাস্ত কৰা মাত্ৰকে চোভিয়েটে ইয়াক বাতিল কৰিছিল। লেনিনে সৈন্য বাহিনীৰ ক্লান্ত শ্ৰমিক আৰু কৃষকবিলাকক অলপ জিৰণি, আৰু উৎসাহ লবলৈ সময় দিব খুজিছিল, যাতে তেওঁ-লোকে ঘৰলৈ উভটি আহি বিপ্লৱটোৱে কি কৰিছিল তাক নিজ চকুৰে দেখিবলৈ পায়। তেওঁ কৃষকবিলাকক এই কথাটো উপলব্ধি কৰাব খুজিছিল যে জমিদাৰ-বিলাকৰ অন্ত পৰিল আৰু মাটি তেওঁলোকৰ হ'ল। আৰু তেওঁ উদ্যোগত কাম কৰা বনুৱাবিলাকক অনুভৱ কৰাব খুজিছিল যে তেওঁলোকৰ শোষণকাৰীবিলাকৰ অন্ত পৰিল। ইয়াৰ পৰা তেওঁলোকে বিপ্লৱটোৰ পৰা হোৱা লাভৰ কথা বুজিব পাৰিব; ইয়াক নিৰাপদ কৰি ৰাখিবলৈ তেওঁলোকৰ আগ্ৰহ হ'ব আৰু তেওঁলোকে উপলব্ধি কৰিব পাৰিব তেওঁলোকৰ শত্ৰু কোনবিলাক। গৃহযুদ্ধ সোনকালে হব বুলি অতি ভালকৈ জানি লেনিনে এইদৰে ভাবিছিল। তেওঁৰ নীতিটো অমুযুক্ত-ভাৱে সঠিক বুলি পিছত প্ৰমাণিত হৈছিল। এই কৃষক আৰু শ্ৰমিকবিলাক ৰণাঙ্গ-নৰ পৰা তেওঁলোকৰ খেতিৰ পথাৰ আৰু কাৰখানাবিলাকলৈ উভটি আহিল;

তেওঁলোক বলচেভিকো নাছিল, সমাজবাদীও নাছিল ; কিন্তু তেওঁলোকে বিপ্লৱটোৰ দৃঢ় সমৰ্থক হৈছিল, কাৰণ ইয়াৰপৰা তেওঁলোকে যিখিনি পাইছিল, সেইখিনি তেওঁলোকে এৰি দিব নুখুজিছিল।

বলচেভিক নেতাবিলাকে যেনে তেনে জাৰ্মাণবিলাকৰ লগত মকামিলা কৰিবলৈ চেষ্টা কৰাৰ লগে লগে তেওঁলোকে আভ্যন্তৰীণ অৱস্থালৈকো মনোযোগ দিছিল। সৈন্যবিভাগৰ বহুত প্ৰাক্তন বিষয়া আৰু ভাগ্যান্বেষীয়ে বন্দুক আৰু যুদ্ধৰ সামগ্ৰীৰে ডাঙৰ নগৰবিলাকৰ মাজভাগত গুলিয়াই ডকাইতি কৰি ডকাইতৰ ব্যৱসায় চলাইছিল। পুৰণি অৰাজকতাবাদীবিলাকৰ দলৰ যিবিলাক মানুহে চোভিয়েটবিলাক অনুমোদন নকৰিছিল, তেওঁলোকৰ কিছুমানেও বিস্তৰ অশান্তিৰ সৃষ্টি কৰিছিল। চোভিয়েটৰ কৰ্তৃপক্ষই অনিষ্টকাৰী এই দলবিলাকৰ মানুহক আৰু আন তেনে মানুহক কঠোৰভাৱে আক্ৰমণ কৰি সেই সকলোকে দমণ কৰিছিল।

চোভিয়েটৰ শাসন ব্যৱস্থালৈ বেছি ডাঙৰ বিপদ আহিছিল বিভিন্ন বে-সামৰিক সেৱাবিলাকৰপৰা, তেওঁলোকৰ বহুত মানুহ বলচেভিকৰ অধীনত কাম কৰিবলৈ নাইবা তেওঁলোকৰ লগত কোনো ৰকমৰ সহযোগ কৰিবলৈ অমান্তি হৈছিল। লেনিনে এই নীতিটো স্থিৰ কৰি দিছিল যে 'যি মানুহে কাম নকৰিব' তেওঁ খাবলৈকো নেপাব, কাম নকৰিলে আহাৰ নেপাৰ।" যিবিলাক বে-সামৰিক কৰ্মচাৰী সহযোগ কৰিবলৈ অমান্তি হৈছিল, তেওঁলোক-সকলোকে বৰখাস্ত কৰা হৈছিল। বেঙ্কৰ মালিকবিলাক তেওঁলোকৰ লোহাৰ চন্দুক খুলিবলৈ অমান্তি হৈছিল ; 'ডিনেমাইট' বাৰুদেৰে সেইবিলাক খোলা হৈছিল। কিন্তু পুৰণি ব্যৱস্থাৰ প্ৰধান সৈন্যাধ্যক্ষজন আদেশ মানিবলৈ যেতিয়া অমান্তি হ'ল তেতিয়া পুৰণি ব্যৱস্থাৰ যিবিলাক কৰ্মচাৰী সহযোগ কৰিবলৈ অমান্তি হৈছিল, তেওঁলোকৰ প্ৰতি লেনিনৰ অৱজ্ঞাৰ চূড়ান্ত দৃষ্টান্ত দেখা গৈছিল। তেওঁক বৰখাস্ত কৰি পাচ মিনিটৰ ভিতৰত ক্ৰিলেনকো নামৰ এজন যুৱক বলচেভিক লেফটেনাণ্টক প্ৰধান সৈন্যাধ্যক্ষ পতা হৈছিল।

এই সকলোবিলাক পৰিবৰ্ত্তন সত্বেও ৰুচিয়াৰ পুৰণি গাঁঠনিৰ বহুত ভাগ থাকি গৈছিল। হঠাৎ এখন বিশাল দেশত সমাজবাদী কৰা সহজ কথা নহয় ; আৰু ঘটনা-প্ৰবাহে বাধ্য নকৰা হলে ৰুচিয়াত পৰিবৰ্ত্তনৰ পদ্ধতিটোৱে বহুত বছৰো লোৱাৰ সম্ভাৱনা আছিল। কৃষকবিলাকে যেনেকৈ জমিদাৰবিলাকক খেদি পঠিয়াইছিল সেইদৰে বহুত ঠাইত বনুৱাবিলাকে তেওঁলোকৰ পুৰণি প্ৰভুবিলাকৰ ওপৰত খং কৰি তেওঁলোকক খেদি পঠিয়াই কাৰখানাবিলাক অধিকাৰ কৰিছিল। চোভিয়েটে সম্ভৱত: কাৰখানাবিলাক পুৰণি পুঁজিবাদী মালিকবিলাকক ওলোটাই দিব নোৱাৰিছিল ; সেই কাৰণে চোভিয়েটে সেইবিলাক অধিকাৰ কৰিছিল। পিছত গৃহযুদ্ধ হওঁতে কাৰখানাৰ কিছুমান গৰাকীয়ে কাৰখানাবোৰ নষ্ট কৰি পেলাব খুজিছিল ; চোভিয়েট চৰকাৰে তেতিয়া হস্তক্ষেপ কৰি কাৰখানাবোৰ ৰক্ষা কৰিবৰ বাবে নিজৰ হাতলৈ নিলে। এইদৰে উৎপাদনৰ উপায়বিলাক সমাজবাদী কৰা কামটো অৰ্থাৎ এক প্ৰকাৰ ৰাষ্ট্ৰীয় সমাজবাদৰ বা কাৰখানা আদিত

ৰাষ্ট্ৰৰ মালিকী-স্বত্ব স্থাপনৰ কামটো নিয়মীয়া অৱস্থাত যিমান দ্ৰুত গতিৰে চলিল-হেঁতেন তাতকৈ বহুত বেছি দ্ৰুত গতিৰে চলিছিল।

চোভিয়েটৰ শাসনৰ প্ৰথম ন মাহত মানুহৰ জীৱন ধাৰা বেছিকৈ বেলেগ নহৈছিল। বলচেভিকবিলাকে সমালোচনা, আনকি অপবাদো সহ্য কৰিছিল, আৰু বলচেভিক বিৰোধী বাতৰি কাকতবিলাক প্ৰকাশ হৈয়ে আছিল। দেশৰ লোক সংখ্যা সাধাৰণতে অনাহাৰে আছিল, কিন্তু ধনী মানুহবিলাকৰ তেতিয়াও আড়ম্বৰ আৰু বিলাসিতাৰ কাৰণে প্ৰচুৰ ধন আছিল। ৰাতি চলোৱা 'কেবেৰেট' বিলাকত (জা-জলপান আৰু বিচিত্ৰ আমোদ প্ৰমোদ যোগোৱা দোকানবিলাকত) মানুহৰ ঠাহ খোৱা ভুম হৈছিল, ঘোঁৰা দৌৰ আদিৰ প্ৰতিযোগিতা আৰু আন আন খেল-ধেমালি চলি আছিল। ডাঙৰ নগৰবিলাকত বেছি ধনী 'বুৰ্জোৱা' বা মধ্য-শ্ৰেণীৰ মানুহবিলাক বৰ বেছিকৈ দেখা পোৱা হৈছিল ; তেওঁলোকে চোভিয়েট চৰকাৰৰ সম্ভাব্য পতনৰ কথা প্ৰকাশ্যে কৈ আনন্দ কৰিছিল। এই মানুহবিলাক জাৰ্মাণীৰ বিৰুদ্ধে যুদ্ধ চলাই ৰখাত দেশপ্ৰেমী হৈ ব্যগ্ৰ আছিল, এতিয়া জাৰ্মাণবিলাকে পেট্ৰোগ্ৰাডলৈ যুদ্ধ যাত্ৰা কৰি আগুৱাই অহাত এই মানুহবিলাকে স্বৰূপতে উৎসৱ পাতিছিল। জাৰ্মাণ সৈন্য বাহিনীয়ে তেওঁলোকৰ ৰাজধানী নগৰখন অধিকাৰ কৰাৰ আশা দেখি তেওঁলোক অতি আনন্দিত হৈছিল। বিদেশীৰ আধিপত্যৰ ভয়তকৈ সামাজিক বিপ্লৱলৈ বিতিকা তেওঁলোকৰ বহুত বেছি আছিল। প্ৰায় সদায় এনে হয়, বিশেষকৈ যেতিয়া শ্ৰেণী-বিলাকৰ স্বাৰ্থ থাকে।

এইদৰে জীৱনধাৰা প্ৰায় নিয়মীয়া আছিল, আৰু এই পৰ্যায়ত নিশ্চয়কৈ বলচেভিক বিভীষিকা নাছিল। প্ৰতিদিনে মানুহৰে ঠাহ খাই পৰা ৰাজহুৱা ভাওনা-ঘৰত মস্কোৰ বিখ্যাত 'বেলে' নাচ চলি আছিল। (যেতিয়া জাৰ্মণ-বিলাকে পেট্ৰোগ্ৰাড অধিকাৰ কৰাৰ ভয় হৈছিল, তেতিয়া চোভিয়েট চৰকাৰ মস্কোলৈ গৈছিল, তেতিয়াৰেপৰা মস্কো তেওঁলোকৰ ৰাজধানী হৈ আছে। মিত্ৰ-শক্তিৰ ৰাষ্ট্ৰদূতবিলাক তেতিয়াও ৰুচিয়াত আছিল। যেতিয়া পেট্ৰোগ্ৰাড জাৰ্মাণীৰ হাতত পৰাৰ বিপদৰ সম্ভাৱনা হৈছিল, তেতিয়া সেই নগৰখনৰপৰা পলাই গৈ সকলো কাৰ্যকলাপৰ পৰা আঁতৰত থকা ভাল্‌গডা নামৰ গাৰ্লীয়া অঞ্চলৰ চহৰ এখনত তেওঁলোক নিৰাপদে থিতাপি লৈছিল। তাত থাকোতে যিবিলাক ভয়ঙ্কৰ জন-ৰৱ তেওঁলোকৰ ওচৰ পাইছিল গৈ, সেইবিলাক শুনি তেওঁলোক সকলোৱে একেলগে বহি নেবানেপেৰা আতঙ্ক আৰু উদ্বেগৰ মাজত কাল কটাইছিল। তেওঁলোকে সঘনে ব্যগ্ৰ হৈ ট্ৰটস্কিক জনৰৱবিলাক সঁচানে মিছা সুধিছিল। এই প্ৰবীন কূট-নীতিবিদ বিলাকৰ এনে উধাতু খোৱা উদ্বেগ দেখি ট্ৰটস্কি বিৰক্ত হৈ ভলডগাৰ অতি সন্মানীয় ব্যক্তিসকলৰ স্নায়ু শান্ত কৰিবৰ কাৰণে 'ব্ৰোমাইড' দৰৱৰ ব্যৱস্থা পত্ৰ এখন লিখি দিবলৈ মান্তি হৈছিল। মূৰ্চা ৰোগ থকা আৰু উদ্বিগ্ন মানুহৰ স্নায়ু শান্ত কৰিবৰ কাৰণে ডাক্তৰে 'ব্ৰোমাইড্' দিয়ে।

ওপৰে ওপৰে জীৱন ধাৰা নিয়মিতকৈ চলিছিল যেন দেখা গৈছিল, কিন্তু দেখাত এই শান্ত পৰিৱেশৰ তলে তলে বহুত সোঁত আৰু বিপৰীতমুখী সোঁত বৈ

আছিল। কোনোৱে বলচেভিকবিলাক বেছি দিন তিষ্ঠি থাকিব বুলি আশা নকৰিছিল, আনকি বলচেভিকবিলাকে নিজেও আশা নকৰিছিল। প্ৰত্যেকেই ষড়যন্ত্ৰ চলাইছিল। দক্ষিণ ৰুচিয়াৰ ইউক্ৰেইনত জাৰ্মাণবিলাকে এখন বহুতীয়া ৰাষ্ট্ৰ স্থাপন কৰিছিল, আৰু সন্ধি স্থাপন হোৱা সত্ত্বেও তেওঁলোকে সদায় চোভিয়েটত ভয় খুৱাই থকা যেন দেখা গৈছিল। মিত্ৰ শক্তিয়ে অৱশ্যে জাৰ্মাণবিলাকক ক্ষীণ কৰিছিল। ১৯১৮খ্ৰীঃৰ আৰম্ভণি ভাগত আমেৰিকাৰ ৰাষ্ট্ৰপতি উইলচনে স্বৰূপতে চোভিয়েট 'কংগ্ৰেছ'লৈ তেওঁৰ আন্তৰিক অভিবাদন পঠিয়াইছিল; পিছত তেওঁ তাৰ বাবে অনুতাপ কৰি তেওঁৰ মন পৰিৱৰ্ত্তন কৰিছিল যেন লাগে। সেই কাৰণে প্ৰতি বিপ্লৱ সৃষ্টি কৰিব খোজা কাৰ্য-কলাপবিলাকত মিত্ৰ-শক্তিয়ে গোপনে অনুদান দিছিল আৰু তেওঁলোকে এনেবিলাক কামত আন আন প্ৰকাৰে সহায় কৰিছিল, আনকি তেওঁলোকে সেইবিলাকত গোপন অংশ গ্ৰহণ কৰিছিল। বিদেশী গুপ্তচৰৰ গুণগুণনিৰে মস্কো মুখৰিত হৈ আছিল। বৃটিছ গুপ্তচৰ বিভাগৰ বিজন প্ৰধান চৰ বৃটেনৰ ওজা চোৰাংচোৱা বুলি জনাজাত আছিল, তেওঁক চোভিয়েট চৰকাৰৰ দুৰ্গতি সৃষ্টি কৰিবলৈ পঠোৱা হৈছিল। সম্পত্তিহীন কৰা অভিজাতবিলাকে আৰু 'বুৰ্জোৱা'বিলাকে (মধ্যবিত্তবিলাকে) মিত্ৰ-শক্তিৰপৰা পোৱা ধনেৰে নেৰানেপেৰাকৈ বিপ্লৱবিৰোধী চেষ্টাক উচতনি দি আছিল।

১৯১৮খ্ৰীঃৰ প্ৰায় মাজ ভাগটোত এনে আছিল। চোভিয়েটৰ জীৱন সূক্ষ্ম সূতা এডালত ওলমি থকা যেন দেখা গৈছিল।

১৫২
চোভিয়েটৰ জয়লাভ

১১ এপ্ৰিল, ৩৩

১৯১৮ চনৰ জুলাই মাহত ৰুচিয়াৰ পৰিস্থিতিৰ এক চমকপ্ৰদ পৰিবৰ্ত্তন হ'ল। বলচেভিকসকলৰ চাৰিওফালৰপৰা সংকটৰ মেৰজাল ক্ৰমে চমু চাপি আহিছিল। দক্ষিণ ইউক্ৰেনৰপৰা জাৰ্মানসকলে আক্ৰমণৰ উদ্যোগ কৰিছিল, আৰু ৰুচিয়াত আৰু ৰুচিয়াত থকা জেকোশ্লোভেকিয়াৰ অসংখ্য যুদ্ধবন্দীয়ে মিত্ৰপক্ষৰ পৰা মস্কোৰফালে আগবাঢ়ি আহিবলৈ উদগণি পাইছিল। ফ্ৰান্সত পশ্চিম ৰণাঙ্গনজুৰি সকলোতে তেতিয়াও মহাযুদ্ধ চলি আছিল; কিন্তু চোভিয়েট ৰুচিয়াত এক আচম্বিত ঘটনা দেখা গ'ল, তাত মিত্ৰপক্ষ আৰু জাৰ্মাণ দুয়োদলে স্বাধীনভাৱে এটি কাম কৰিবলৈ লাগি গৈছিল সেইটো হৈছে বলচেভিকসকলক মষিমুৰ কৰা। জাতিগত বিদ্বেষতকৈ শ্ৰেণীগত বিদ্বেষ যে কিমান বেছি হব পাৰে ইয়াত তাৰেই আমি প্ৰমাণ পাওঁ। জাতিগত বিদ্বেষ অতি বিষাক্ত আৰু তিক্ত। চৰকাৰীভাৱে এওঁলোকৰ কোনেও ৰাচিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা নকৰিলে। কিন্তু তেওঁলোকে অন্য নানা প্ৰকাৰে চোভিয়েটক অতিশয় জুলুম কৰিবলৈ ধৰিলে বিশেষকৈ বিপ্লৱবিৰোধী নেতাসকলক উৎসাহিত কৰি আৰু তেওঁলোকৰ বাবে আৰু অস্ত্ৰ-শস্ত্ৰ দি সহায় কৰি। জাৰৰ আমোলত যিসকল পুৰণি সেনাপতি আছিল তেওঁলোকৰ বহুতে এইবাৰ চোভিয়েটৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হ'ল।

জাৰ আৰু তেওঁৰ পৰিয়ালৰ লোকসকলক ৰুচিয়াৰ পূব অঞ্চলত উৰাল পৰ্বতৰ এখনি ঠাইত বন্দী কৰি ৰখা হৈছিল--তেওঁলোকৰ দায়িত্ব আছিল স্থানীয় চোভিয়েটৰ হাতত। জেকসকলৰ সৈন্যবাহিনী এই প্ৰদেশৰ ফালে আগবাঢ়ি অহা দেখি স্থানীয় চোভিয়েটে ভয় খালে, ভূতপূৰ্ব জাৰক তেওঁলোক আহি মুক্তি কৰি দিব আৰু বিপ্লৱ-বিৰোধীসকলৰ তেওঁ এটি শক্তিকেন্দ্ৰ হৈ পৰিব এই সম্ভাৱনাৰ কথা ভাবি তেওঁলোক শঙ্কিত হৈ পৰিল। সেয়ে তেওঁলোকে নিজে আইন হাতত লৈ জাৰৰ পৰিয়ালৰ সকলোকে হত্যা কৰিলে। চোভিয়েটৰ কেন্দ্ৰীয় কমিটি এই এই হত্যাকাণ্ডৰ বাবে জগৰীয়া নাছিল বুলিয়েই অনুমান হয়, লেনিনে নিজেও এই কাৰ্যৰ বিৰোধী আছিল অন্তৰ্জাতিক কূটনীতিৰ ফালৰপৰা। ভূতপূৰ্ব জাৰৰ আৰু মানৱীয় কৰুণাৰ ফালৰপৰা তেওঁৰ পৰিয়ালৰ প্ৰাণ নাশ তেওঁ উচিত বুলি বিবেচনা কৰা নাছিল, তথাপি এই কাম সম্পন্ন হৈ প'ল বেতিয়া কেন্দ্ৰীয় কমিটিয়ে এই কাৰ্য অনুমোদন কৰিলে। সম্ভৱতঃ ইয়াৰ ফলস্বৰূপেই মিত্ৰপক্ষীয় চৰকাৰসমূহ আৰু বেছি বিচলিত হৈ পৰিল; তেওঁলোকৰ বিদ্বেষ আৰু তীব্ৰ হৈ উঠিল।

আগষ্ট মাহত অৱস্থা আৰু শোচনীয় হ'ল, দুটি ঘটনাৰ ফলত জনসাধাৰণৰ মনত ক্রোধ, হতাশা, আৰু ভয় বৰ বেছিকৈ বাঢ়ি গ'ল। তাৰে এটি হ'ল লেনিনৰ প্ৰাণ নাশৰ চেষ্টা, আনটি উত্তৰ ৰুচিয়াৰ আৰ্কেঞ্জেল বন্দৰত এটি মিত্ৰপক্ষীয় বাহিনীৰ অৱতৰণ। মস্কোত বৰ উত্তেজনাৰ সৃষ্টি হ'ল, সকলোৱে ভাবিলে চোভিয়েটৰ আয়ুস শেষ হবলৈ আৰু পলম নাই। আচলতে মস্কো চহৰৰ চাৰিও ফালে তেতিয়া শত্রুসেনা আহি আগুৰি ধৰিছে, জাৰ্ম্মাণ, জেক, বিপ্লৱ-বিৰোধী কোনো আৰু বাকী নাই।

মস্কোৰ ওচৰে-পাজৰে মাত্ৰ সামান্য কেইখনমান জিলা তেতিয়া চোভিয়েট শাসনৰ অধীন। ইয়াৰ উপৰিও আকৌ মিত্ৰ পক্ষৰ সৈন্য আহি উপস্থিত হোৱা দেখি সকলোৱেই বুজি পালে যে মস্কোৰ আৰু এইবাৰ ৰক্ষা নাই। বলচেভিক সকলৰ সেনা বাহিনী বুলিবলৈ তেনেই একোৱে নাছিল। ব্ৰেষ্টলিটভস্কৰ বন্দী হৈছে মাত্ৰ পাচ মাহ আগতে, আগৰ সৈন্য বাহিনী যি আছিল তাৰ অধিক অংশই সেনা বাহিনী এৰি আকৌ খেতিৰ কামত লাগিছেগৈ মস্কো চহৰৰ মাজতো তেতিয়া নানাবিধ চক্রান্ত আৰু ষড়যন্ত্র চলিছে। চোভিয়েটৰ পতন আসন্ন বুলি বুৰ্জোৱাসকলে মুকলিভাৱে আনন্দ-উৎসৱ কৰিবলৈ লাগি গৈছে।

সেই দিনৰ চোভিয়েট প্ৰজাতন্ত্ৰৰ অৱস্থা এনে ভয়ানক আছিল, তেতিয়া সেই প্ৰজাতন্ত্ৰৰ বয়সো মাথোন ন মাহ। হতাশা আৰু ভয়ত বলচেভিকসকল অস্থিৰ হৈ পৰিল। তেওঁলোকে স্থিৰ কৰিলে মৰিব যেতিয়া লাগিবই যুদ্ধ কৰিয়েই মৰিব। এশ পঁচিছ বছৰৰ আগতে তৰুণ ফৰাচী প্ৰজাতন্ত্ৰই কৰাৰ দৰে তেওঁ-লোকেও মৰণমুখী বনৰীয়া জন্তুৰ দৰে নিঃসঙ্কোচে শত্ৰুৰ ওপৰত জপিয়াই পৰিল। এইবাৰ আৰু তেওঁলোকে কোনো ক্ষমা নকৰিব, দয়া নেদেখুৱাব। গোটেই দেশত সামৰিক আইন জাৰি কৰা হ'ল। চেপ্তেম্বৰৰ প্ৰথম ভাগত কেন্দ্ৰীয় চোভিয়েট কমিটিয়ে 'ৰক্ত বিভিষীকা' নীতি ঘোষণা কৰিলে "সকলো দেশদ্ৰোহীক বধ কৰা হ'ব বিদেশী আক্রমণকাৰীসকলৰ লগত যুদ্ধত, কোনো দয়া-মায়া দেখুৱা ন'হব।" শল ঠেকত পৰিছে তেওঁলোক এইবাৰ, এফালে দেশৰ ভিতৰৰ শত্রু আনফালে বাহিৰৰ শত্রুৰ লগত তেওঁলোকৰ যুদ্ধ। এই যুদ্ধত এফালে থাকিল চোভিয়েট আৰু আনফালে হ'ল সমগ্র পৃথিৱী আৰু ৰুচিয়াৰ নিজৰ বিপ্লৱবিৰোধী-সকল। নতুন এটি কৰ্মধাৰাৰ যুগৰ সূচনা হ'ল, ইয়াৰ আখ্যা দিয়া হ'ল, 'সমগ্র তন্ত্রী কমিউনিজম', গোটেই দেশখনেই প্রায় এটি অৱৰুদ্ধ সৈন্য শিবিৰত পৰিণত হ'ল। লাল-ফৌজ গঢ়ি তুলিবৰ কাৰণে প্ৰাণপণ চেষ্টা চলিবলৈ ধৰিলে ইয়াৰ ভাৰ দিয়া হ'ল ট্ৰট্স্কিৰ হাতত।

এইটো প্রায় ১৯১৮ চনৰ চেপ্তেম্বৰ আৰু অক্টোবৰ মাহৰ কথা পশ্চিম ৰণা-ঙ্গনত তেতিয়া জাৰ্মাণসকলৰ ৰণসজ্জাৰ ভাঙোনে ধৰিছে যুদ্ধ-বিৰতিৰ কথা-বাৰ্ত্তা চলিছে। প্ৰেচিডেণ্ট উইলচনে তেওঁৰ চৈধ্যদফীয়া চৰ্ত্ত ঘোষণা কৰিছে, সকলো-ধাৰণা হৈছে যে মিত্ৰপক্ষৰ মনৰ কথা ইয়াৰ দ্বাৰা ব্যক্ত কৰা হৈছে। এটি কৌতু-কৰ কথা হ'ল যে ইয়াৰ এটা চৰ্ত্তমতে ৰুচিয়াৰ সকলো ঠাইৰপৰা বাহিৰা সৈন্য-বোৰ অপসৰণ কৰি আনিব লাগিব আন সকলো দেশৰ সহায় লৈ নিজক গঢ়ি তুলিবলৈ সম্পূর্ণ সুযোগ ৰাচিয়াক দিব লাগিব। ৰুচিয়াৰ আভ্যন্তৰীণ ব্যৱস্থাত


সোভিয়েট রাশিয়া
১৯১৮—১৯
ব্রেস্ট-লিটোভস্কের সন্ধিতে
হস্তচ্যুত ভূখণ্ড
আর্চেঞ্জেল
মিত্রশক্তি
ফিনল্যাণ্ড
এস্তোনিয়া
পেট্রোগ্রাড
ল্যাটভিয়া
রিগা
লিথুয়ানিয়া
পোলেণ্ড
ব্রেস্ট-লিটোভস্ক
মস্কো
নিজনি নভোগরোড
কাজান
কালচাক
সামারা
ভল্গা
খারকভ
ডন
ডেনিকিন,
রেঙ্গেল ইত্যাদি
ইউক্রেন
নীপার
ওডেসা
রুমানিয়া
রস্টভ

মিত্ৰপক্ষই হস্তক্ষেপ কৰিছে এইবিলাক, এই চৰ্ত্তটিৰ অতি অপূৰ্ব কথা। বলচেভিক চৰকাৰে প্ৰেচিডেণ্ট উইলচনলৈ এখন চিঠি পঠালে তাত তেওঁৰ চৈধ্য-দফীয়া চৰ্ত্তৰ অতিশয় কটু সমালোচনা কৰিলে। এই চিঠিত তেওঁলোকে লেখিলে-"পোলেণ্ড, চাৰ্বিয়া, বেলজিয়াম, স্বাধীন হ'ব অষ্ট্ৰীয়া, হাঙ্গেৰীৰ জনসাধৰণে স্বাধীনতা অৰ্জন কৰিব তাৰ দাবী আপুনি কৰিছে কিন্তু আশ্চাৰ্যৰ বিষয় যে আপোনাৰ এই দাবীৰ ভিতৰত আয়ৰ্লেণ্ড, মিছৰ, ভাৰতবৰ্ষ আনকি ফিলিপাইন দ্বীপপুঞ্জৰো কোনো ইঙ্গিত আমি বিচাৰি নাপালোঁ।"

মিত্ৰপক্ষৰ লগত জাৰ্মাণীৰ সন্ধি হ'ল ১৯১৮ চনৰ ১১ নৱেম্বৰত, এওঁ-লোকে যুদ্ধ-বিৰতিৰ পত্ৰত স্বাক্ষৰ কৰিলে। ৰুচিয়াত কিন্তু ১৯১৯ আৰু ১৯২০ চন জুৰি গৃহযুদ্ধ চলি থাকিল। সংঘবদ্ধ শত্ৰুপক্ষৰ বিৰুদ্ধে চোভিয়েটে অকলে যুদ্ধ চলালে। এবাৰ যে সোঁতৰটা বিভিন্ন দিশৰ পৰা একেলগে লাল-ফৌজৰ ওপৰত আক্ৰমণ চলোৱা হ'ল। ইংলণ্ড, আমেৰিকা, ফ্ৰান্স, জাপান, ইটালী, চাৰ্বিয়া, জেকোশ্লোভেকিয়া, ৰুমানিয়া, বাল্টিক অঞ্চলৰ ৰাজ্যসমূহ, পোলেণ্ড আৰু ৰুচিয়াৰ অসংখ্য বিপ্লৱবিৰোধী সেনাপতি সকলোৱে চোভিয়েটৰ বিৰুদ্ধে যুদ্ধত নামিল, চাইবেৰিয়াৰ পূৰ্বপ্ৰান্তৰপৰা আৰম্ভ কৰি বাল্টিক সাগৰ আৰু ক্ৰিমিয়া লৈকে সকলোতে যুদ্ধ চলিল। বাৰে বাৰে জনসাধৰণে ভাবিবলৈ ধৰিলে এইবাৰ চোভিয়েটৰ শেষ। মস্কো চহৰ শত্ৰুয়ে আক্ৰমণ কৰিবলৈ উদ্যত হ'ল, পেট্ৰোগ্ৰাড চহৰ একেবাৰে শত্ৰুৰ হাতত পৰাৰ উপক্ৰম হ'ল। তথাপিও সকলো সংকট সকলো বিপদ অতিক্ৰম কৰি চোভিয়েট আগবাঢ়ি গ'ল। একো একোটি সংকটত জয়লাভ কৰাৰ লগে লগে তেওঁলোকৰ আত্মবিশ্বাস আৰু শক্তিও বহুখিনি বাঢ়ি আহিল।

বিপ্লৱবিৰোধীসকলৰ এজন নেতা আছিল, এডমিৰেল কলচাক। তেওঁ নিজেই ৰুচিয়াৰ শাসক বুলি ঘোষণা কৰিলে। মিত্ৰ পক্ষইও তেওঁক সেইবুলিয়েই মানি ল'লে, আৰু যথেষ্টৰূপে সহায় কৰিলে। চাইবেৰিয়াত তেওঁ যি আচৰণ দেখুৱাইছিল সেইবিষয়ে এজন মিত্ৰ পক্ষীয় লোকৰ বৰ্ণনাৰপৰাই আমি তেওঁৰ পৰিচয় পাওঁ। এওঁৰ নাম হ'ল জেনেৰেল গ্ৰেভ্‌চ, যুক্তৰাষ্ট্ৰৰ যি সৈন্যবাহিনী-টিয়ে কলচাকৰ পক্ষলৈ যুদ্ধ কৰিছিল এওঁ তাৰেই অধিনায়ক আছিল। এই আমেৰিকাৰ সেনাপতিজনে কৈছিল—"বহুতো ভয়াবহ নৰহত্যা কৰা হৈছিল; কিন্তু সেইবোৰ বলচেভিকসকলৰদ্বাৰা অনুষ্ঠিত হোৱা নাছিল যদিও পৃথিৱীৰ জনসাধাৰণে এইবোৰ তেওঁলোকৰেই কাৰ্য বুলি ভাবে, মই লেশমাত্ৰ অত্যুক্তিৰ অপৰাধত অপৰাধী নহওঁ যদি মই কওঁ যে বলচেভিকসকলে যিমান মানুহ হত্যা কৰিছিল তাৰ জনমুৰি এশজন লোক বলচেভিক বিৰোধীসকলৰ হাতত চাইবেৰিয়াত নিহত হৈছিল।"

তুমি নিশ্চয় জানিলে বং পাবা যে কি জ্ঞান আৰু ৰাতৰিৰ ওপৰত নিৰ্ভৰ কৰি ডাঙৰ ডাঙৰ ৰাষ্ট্ৰনেতাসকলে ডাঙৰ ডাঙৰ জাতিৰ ভাগ্য পৰিচলানা কৰে যুদ্ধ আৰু শান্তি নিৰূপন কৰে। এই সময়ত বৃটেনৰ প্ৰধানমন্ত্ৰী আছিল লয়েড জৰ্জ, সেই সময়ত বোধহয় সমগ্ৰ ইউৰোপৰ ভিতৰত তেৱেঁই আছিল সকলোতকৈ

শক্তিশালী ব্যক্তি। বৃটেনৰ হাউচ অব্ কমন্সত বক্তৃতা দিওঁতে তেওঁ কলচাক আৰু ৰুচিয়াৰ অন্যান্য সেনাপতিসকলৰ নাম উল্লেখ কৰিছিল। এওঁলোকৰ লগতে একে উশাহতে তেওঁ নাম উল্লেখ কৰিলে 'জেনেৰেল খাৰকভ'ৰ। খাৰকভ-কিন্তু সেনাপতি নহয় এখন ডাঙৰ চহৰ, উক্রেইনৰ ৰাজধানী। প্ৰাথমিক ভূগোলৰ এই সামান্য জ্ঞানখিনিও ৰাষ্ট্ৰনীতিৰ এইসকল মহাৰথীৰ নাছিল, সেইবুলি অৱশ্যে য়ুৰোপক কাটি টুকুৰা টুকুৰি কৰোতে অথবা ইয়াৰ সম্পূৰ্ণ নতুন এখন মানচিত্ৰ ৰচনা কৰোতে এওঁলোকৰ অকণো অসুবিধা হোৱা নাছিল।

মিত্ৰপক্ষই ৰুচিয়াৰ চাৰিওফালে যেনি ধৰি অৱৰোধ কৰিলে, এই অৱৰোধ ইমান কটকটীয়া আছিল যে গোটেই ১৯১৯ চনৰ ভিতৰত ৰুচিয়াই বাহিৰৰ কোনো দেশৰ লগত তিলমানো পণ্যবস্তু বেচা-কিনা কৰিব নোৱাৰিছিল।

তথাপিও ইমান ডাঙৰ বাধা-বিপত্তি, ইমান অসংখ্য ক্ষমতাশালী শত্ৰুপক্ষৰ লগত যুদ্ধ কৰিও ৰুচিয়া শেষ পৰ্যন্ত জীয়াই থাকিল, জয়লাভ কৰিলে। যুদ্ধগীত বিমান অপূৰ্ব বীৰত্বৰ কাহিনী আছে ই তাৰ অন্যতম। এইটো তেওঁলোকে কিদৰে সম্ভৱ কৰিলে? এই কথা অৱশ্যে সত্য যে মিত্ৰপক্ষৰ জাতিসমূহে যদি একগোট হৈ বলচেভিকসকলক চূৰ্ণ কৰিবৰ কাৰণে উদ্যোগ কৰিব পাৰিলে-হেঁতেন তেনেহলে প্ৰথমভাগতেই বলচেভিকসকল শেষ হৈ গ'লহেঁতেন।

জাৰ্মাণ উচ্ছন্ন হৈ গৈছে সেই সময়ত তেওঁলোকৰ হাতত অজস্ৰ সৈন্য, কিন্তু সেই সৈন্যসকলক তেতিয়াই আকৌ আন ঠাইলৈ বিশেষকৈ চোভিয়েটৰ বিৰুদ্ধে যুদ্ধত নবোৱাটো সিমান সহজ নাছিল। সৈন্যবোৰ তেতিয়া ৰণক্লান্ত হৈ পৰিছে সেই সময়ত আকৌ নতুনকৈ আৰু এখন যুদ্ধ কৰিবলৈ ক'লে তেওঁলোক সকলো-লোৱেই অসন্মত হব। তাৰ উপৰিও সকলো দেশৰ শ্ৰমিকসকলৰ মনত নৱজাত ৰুচিয়াৰ প্ৰতি এটি অহৈতুকী সহানুভূতিৰ দেখা দিছিল, চোভিয়েটৰ বিৰুদ্ধে প্ৰকাশ্যভাৱে যুদ্ধ ঘোষণা কৰিলে তেওঁলোকৰ নিজৰ দেশৰ ভিতৰতে বিবাদ হব পাৰে এই ভয়ও মিত্ৰপক্ষীয় চৰকাৰসমূহে নকৰাকৈ নোৱাৰিছিল। এনেয়েও সেই সময়ত য়ুৰোপৰ সকলোতে বিদ্ৰোহৰ আভাস পৰিস্ফুত হৈ উঠি-ছিল। তৃতীয়তে মিত্ৰপক্ষীয় দেশসমূহৰ ভিতৰতো পৰস্পৰ অৰিয়া-অৰিৰ অভাৱ নাছিল। যুদ্ধ শেষ হোৱাৰ লগে লগে এওঁলোকে নিজৰ ভিতৰত অৰি য়া-অৰি আৰম্ভ কৰি দিছিল। এইবোৰ কাৰণতেই এওঁলোকে বিশেষ জোৰ কৰি বলচেভিকৰ উচ্ছেদ সাধনৰ কাৰণে ব্ৰতী হব পৰা নাছিল। নিজক বিমান দূৰ সম্ভৱ দূৰতে ৰাখি আঁতৰে আঁতৰে কাৰ্যসাধন কৰিবলৈ নিজৰ কাৰণে আনক যুদ্ধত প্ৰবৃত্ত কৰাই নিজে কেৱল পিছত থাকি তেওঁলোকক টকা-কড়ি, অস্ত্ৰ-শস্ত্ৰ, আৰু বিচক্ষণ পৰা-মৰ্শ আগবঢ়াই সহায় কৰিবলৈ বিচাৰিছিল চোভিয়েটৰ আয়ুস যে টুটি আহিছে, সেই বিষয়ে তেওঁলোকৰ তিলমানো সন্দেহ নাছিল।

চোভিয়েটৰ এইখিনিতে নিশ্চয় বৰ সুবিধা হৈছিল, তেওঁলোকে নিজৰ শক্তি সঞ্চয় কৰিবলৈ সময় পাইছিল। কিন্তু সেইবুলি বাহিৰৰ বা-বতাহৰ কাৰণেই তেওঁলোকৰ জয়লাভ সম্ভৱ হৈছিল বুলি ধৰি ললে তেওঁলোকৰ প্ৰতি

অবিচাৰ কৰা হব। প্ৰধানতে এওঁলোকৰ জয় হৈছিল ৰুচিয়াৰ জনসাধাৰণৰ আত্ম-প্ৰত্যয়, দৃঢ়-বিশ্বাস, আত্মোৎসৰ্গ, আৰু অদম্য সঙ্কল্পৰ কাৰণে। আৰু সকলোতকৈ আচৰিত কথা হৈছে এয়ে যে এই জাতিটোক পৃথিৱীৰ সকলো লোকেই এলেহুৱা, অজ্ঞ, দুৰ্বল আৰু কোনো প্ৰকাৰৰ বৃহৎ উদ্যোগৰ কাৰণে অনুপযুক্ত বুলিয়েই ধাৰণা কৰিছিল, আৰু সেই ধাৰণা একেবাৰে মিছাও নাছিল। স্বাধীনতা প্ৰকৃততে এটা অভ্যাস, বহুকাল ক্ৰমে ধৰি ইয়াৰপৰা বঞ্চিত হৈ থাকিলে আমি ক্ৰমে ইয়াৰ নামকে পাহৰি যাওঁ। ৰুচিয়াৰ সেই অজ্ঞ কৃষক আৰু বনুৱাসকল এই বিষয়ে অভ্যস্ত হোৱাৰ বিশেষ কাৰণ কোনো দিনে ঘটাও নাছিল। তথাপি সেই সময়ৰ ৰুচিয়াৰ নেতৃবৃন্দ ইমান কৰ্মপটু আছিল যে এই দীনহীন জনতাক গঢ়ি তুলি তেওঁলোকক শক্তিশালী সুসংযত জাতিত পৰিণত কৰিছিল। তেওঁলোকৰ লক্ষ্যত তেওঁলোকৰ সবল বিশ্বাস আৰু নিজৰ শক্তিত নিৰ্ভৰতাই এই কৃতকাৰ্যতাৰ মূল আছিল। কোলজাকসকল আৰু তেওঁলোকৰ সতীৰ্থ বিৰোধীসকল যে পৰাজিত হৈছিল সি কেৱল বলচেভিক নেতাসকল কৰ্মদক্ষ আৰু দৃঢ়প্ৰতিজ্ঞ বুলিয়েই নহয় ৰুচিয়াৰ কৃষকসকলেও তেওঁলোকক আৰু সহ্য নকৰাৰ কাৰণেও। কৃষকসকলে বুজিলে যে তেওঁলোকৰ হাতলৈ এতিয়া যি অলপ মাটি আৰু অন্যান্য সুযোগ-সুবিধা আহিছে কলচাকসকলে সেই মাটি আৰু আৰু সা-সুবিধাবোৰ কাঢ়ি নিবলৈকে আহিছে, যিহেতু তেওঁলোকে পুৰণি ব্যৱস্থাৰ প্ৰতিনিধিত্ব কৰিছে। সেয়ে তেওঁলোকেও স্থিৰ কৰিলে যে প্ৰাণ দিও তাক ৰক্ষা কৰিব।

এই সকলোৰে ওপৰত আছিল লেনিন নিজে। তেওঁৰ নেতৃত্বত আপত্তি বা সংশয় প্ৰকাশ কৰিব পৰা লোক কোনো নাছিল। ৰুচিয়াৰ প্ৰজাসকলে তেওঁক এক উপদেশক বুলি ভাবিছিল, আশা আৰু নিৰ্ভৰতাৰ মূল আছিল তেওঁ, তেওঁ মহাজ্ঞানী যিজনে প্ৰতিটো সঙ্কটৰপৰা তেওঁলোকক উদ্ধাৰ কৰাৰ উপায় উদ্ভাৱনা কৰে, কোনো বিপদতেই যিজন বিভ্ৰান্ত বা বিচলিত নহয়। সেই সময়ত (এতিয়া ৰুচিয়াত তেওঁৰ প্ৰতিষ্ঠা লোপ পাইছে) লেনিনৰ ঠিক পিচতেই স্থান আছিল ট্ৰাট্স্কিৰ-লেখক আৰু বক্তা ট্ৰটস্কি, যুদ্ধ সম্পৰ্কে অভিজ্ঞতা তেওঁৰ একেবাৰেই নাছিল অথচ তেতিয়া তেৰেই গৃহযুদ্ধ আৰু অৱৰোধৰ মাজভাগত থিয় হৈ এটি বিশাল সৈন্য বাহিনী গঢ়ি তোলাৰ কাৰ্যত ব্ৰতী হৈছিল। ট্ৰটস্কিৰ আছিল দুৰ্দান্ত দু:সাহস, যুদ্ধত তেওঁ কেইবাবাৰো জীৱন বিপন্ন কৰিছিল। কাৰোবাৰ মাজত কাপুৰুষতা বা শৃঙ্খলাহীনতাৰ অভাৱ দেখিলে তেওঁ তিলমানো দয়া নকৰিছিল। গৃহযুদ্ধৰ এটি সঙ্কটৰ মুহূৰ্তত তেওঁ এই আদেশ জাৰি কৰিছিল—"মই সকলোকে সতৰ্ক কৰি দিওঁ যে যদি কোনো সৈন্যবাহিনীয়ে বিনা আদেশে ৰণক্ষেত্ৰৰপৰা পশ্চাৎ অপসৰণ কৰে তেন্তে প্ৰথমে সেই বাহিনীৰ আৰু তাৰ পিছত তাৰ সেনানায়কক গুলী কৰি মৰা হব। তেওঁলোকৰ ঠাইত আন সাহসী আৰু বীৰ সৈনিকক নিযুক্ত কৰা হব। কাপুৰুষ, ভীৰু, আৰু বিশ্বাসঘাতকসকলে কেতিয়াও মৃত্যু দণ্ডৰপৰা ৰেহাই নাপাব। সমগ্ৰ লালফৌজৰ সন্মুখত ঠিয় হৈ মই এই স্থিৰ সংকল্প কৰিছোঁ।"

এই কথা তেওঁ পালনো কৰিছিল। ১৯১৯ চনত অক্টোবৰ মাহত প্ৰচাৰিত ট্ৰটস্কিৰ আন এটি সামৰিক ঘোষণাও বৰ আমোদজনক। ইয়াত দেখা যায় যে বলচেভিকসকলে সদায় প্ৰজাসাধাৰণ আৰু ধনতন্ত্ৰী চৰকাৰৰ মাজত থকা পাৰ্থক্য মনত ৰাখিছিল। তেওঁলোকে কোনোদিনেই প্ৰকৃত জাতীয়তাবাদী বুলি নিজক পৰিচয় নিদিছিল। এই ঘোষণাটি হৈছে—

"কিন্তু আজিও ইংলেণ্ডৰ ভেৰণীয়া যুঁজাৰু জুডেনিকৰ লগত আমাৰ তীব্ৰ সংগ্ৰাম চলি থকাৰ এই মুহূৰ্ত্ততো মই কৈছো। তোমালোকে এই কথা পাহৰি গলে নহব যে দৰাচলতে ইংলেণ্ড দুখন আছে। এখন ইংলণ্ড হৈছে লাভখোৰ, অত্যাচাৰী, ঘোচখোৰ আৰু ৰক্তপিপাসুসকলৰ কাৰণে প্ৰসিদ্ধ; কিন্তু তাৰ লগে লগে আৰু এখন ইংলণ্ড আছে সেইখন ইংলেণ্ড হৈছে শ্ৰমিকৰ ইংলেণ্ড, আধ্যাত্মিক শক্তিৰ কেন্দ্ৰ ইংলেণ্ড আন্তৰ্জাতিক ঐক্যতাৰ উচ্চ আদৰ্শৰে অনুপ্ৰাণিত ইংলেণ্ড। আমাৰ লগত যেয়ে যুদ্ধ কৰিছে সেয়া হৈছে নীচ আৰু অসৎ সকলৰ দেশ ইংলেণ্ড; ব্যৱসায় বাণিজ্যৰ নিযন্ত্ৰণকাৰীসকলে এই ইংলেণ্ডক পৰিচালিত কৰে। কিন্তু শ্ৰমিকসকলৰ ইংলেণ্ড আৰু জনসাধাৰণৰ ইংলেণ্ডই আমাৰ পক্ষ সমৰ্থন কৰে।"

দৃঢ় সংকল্পৰে লালফৌজক যুদ্ধ ক্ষেত্ৰত পৰিচালনা কৰা হৈছিল তাৰ সামান্য পৰিচয় পোৱা যায় পেট্ৰোগ্ৰেড চহৰ ৰক্ষা কৰাৰ সিদ্ধান্তৰ পৰা। পেট্ৰোগ্ৰেড তেতিয়া জুডেনিকৰ হাতত পৰাৰ সম্ভাৱনা দেখা গৈছে, দেশৰক্ষা সমিতিয়ে আদেশ জাৰি কৰিলে—"শেষ টোপা তেজ দিও পেট্ৰোগ্ৰেডক ৰক্ষা কৰিব লাগিব। এখোজো পিচুৱালে নচলিব, চহৰৰ প্ৰত্যেক ৰাজআলিয়ে ৰাজআলিয়ে থিয় হৈ যুদ্ধ কৰিব লাগিব।"

ৰুচিয়াৰ প্ৰসিদ্ধ লেখক গৰ্কিয়ে লেখিছে লেনিনে হেনো ট্ৰটস্কিৰ সম্বন্ধে এবাৰ কৈছিল—

"বাৰু মোক আৰু এজন লোক দেখুৱাচোন যিজনে এবছৰৰ ভিতৰত এনে আদৰ্শনীয় এটি সৈন্যবাহিনী গঢ়ি তুলিব আৰু তাৰ লগে লগে সমৰনীতি বিশাৰদ সকলৰ দৃষ্টিতো মৰ্যাদা অৰ্জ্জন কৰিব। তেনে এজন লোক আমাৰ ভিতৰত আছে। আমাৰ সকলো আছে। আৰু বহুতো বিস্ময়কৰ ঘটনা এতিয়াও ঘটি আছে।"

এই লালফৌজ ব্যাপকভাৱে গঢ়ি উঠিল। ১৯১৭ চনৰ ডিচেম্বৰ মাহত বলচেভিকসকলে ক্ষমতালাভ কৰাৰ ঠিক পিছতেই এই বাহিনীৰ মুঠ সংখ্যা আছিল ৪,৩৫,০০০। ব্ৰেষ্টলিটভস্কৰ সন্ধিৰ পিছত নিশ্চয় ইয়াৰ বহুতো সৈন্য আঁতৰি গৈছিল আৰু এই বাহিনীক নতুনকৈ আকৌ গঢ়ি তুলিবলগীয়া হৈছিল। ১৯১৯ চনৰ মাজভাগত এই সৈন্যবাহিনীৰ মুঠসংখ্যা হবগৈ ১৫,০০,০০০। ঠিক তাৰ এবছৰৰ পিছত এই সংখ্যা ৫৩,০০,০০০ লৈ বাঢ়িল।

১৯১৯ চনৰ শেষৰফালে দেখা গ'ল যে গৃহযুদ্ধত চোভিয়েটে তেওঁলোকৰ শত্ৰুবিলাকক নিসন্দেহে পৰাজয় কৰি আনিলে। তাৰ পিছতো অৱশ্যে এবছৰ জুৰি যুদ্ধ চলিল; বহুবাৰ বহুতো সংকট মুহূৰ্ত্ত দেখা দিলে। ১৯২০ চনত শৰতকালত পোলেণ্ডে ৰাজ্যাই (জাৰ্মানীৰ পৰাজয়ৰ পিছত নতুনকৈ গঠিত) ৰুচিয়াৰ লগত বিবাদ ঘটাবলৈ দুয়োৰে মাজত যুদ্ধ লাগিল।

১৯২০ চনৰ শেষৰফালে এই সকলো যুদ্ধই দৰাচলতে শেষ হ'ল —ইমান দিনৰ মূৰত ৰুচিয়াৰ কপালত অলপ শান্তি লাভ ঘটিল।

ইতিমধ্যে দেশৰ ভিতৰত নানাতৰহৰ বিপত্তিৰ সৃষ্টি হ'ল। যুদ্ধ আৰু অৱৰোধ, বেমাৰ-আজাৰ আৰু দুৰ্ভিক্ষৰ ফলত দেশৰ অৱস্থা শোচনীয় হৈ পৰিল। উৎপাদন কমি গ'ল। পৰস্পৰ বিৰোধী সৈন্যবাহিনীৰ আহ-যাহৰ ফলত খেতিয়ক সকলে পথাৰত শস্য উৎপাদন অথবা বনুৱাসকলে কলকাৰখানাত কাম কৰিবলৈ অপাৰাগ হ'ল। 'সমাজতন্ত্ৰী কমিউনিজিমে' দেশখন কোনোমতে ইমানদিন চলালি আছিল। কিন্তু সকলোৱেই কম খোৱাৰ অভ্যাস কৰি আৰু নোৱাৰাত পৰিল। সকলোৰে পক্ষে সি অসহনীয় হৈ উঠিল। খেতিয়কসকলে বেছি খেতি কৰিবলৈ নিৰিচৰা হ'ল—তেওঁলোকে কয় 'দেশত সামৰিক কমিউনিজিমৰ ৰাজত্ব চলিছে যিখিনি বাহি শস্য উৎপাদন কৰা হয় তাকতো ৰাষ্ট্ৰই কাঢ়ি লৈ যাব—এতেকে মিছাতে এইবোৰ কষ্ট কৰি কি লাভ ? দেশত ক্ৰমানুয়ে এটি কঠিন আৰু ভয়াবহ পৰিস্থিতিৰ উদ্ভৱ হ'ল। পেট্ৰোগ্ৰেডৰ কাষত ক্ৰণষ্টাডৰ নাবিকসকলে বিদ্ৰোহো কৰিলে আৰু পেট্ৰোগ্ৰেড্ চহৰতো বনুৱাসকলে ধৰ্মঘট কৰিলে।

মূল কৰ্মপন্থাক সময়সাময়িক অৱস্থাৰ লগত খাপ খুৱাই তাক প্ৰয়োগ কৰাৰ কামত লেনিনৰ অপূৰ্ব প্ৰতিভা আছিল। তেওঁ অনতিপলমে ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিলে। সমৰতন্ত্ৰী কমিউনিজিম তেওঁ বন্ধ কৰি দিলে, নতুন এটা নীতিৰ প্ৰৱৰ্তন কৰিলে—ইয়াৰ নাম হ'ল নতন অৰ্থনৈতিক নীতি বা (New Economic Policy) সংক্ষেপতে NEP (কথাকেইটাৰ প্ৰথম আখৰ ধৰি)। খেতিয়ক সকলে ইয়াত শস্য উৎপাদন আৰু বিক্ৰি কৰিবলৈ বহু বেছি স্বাধীনতা পালে। ব্যক্তিগতভাৱে অলপ অলপ ব্যৱসায় বাণিজ্য চলোৱাৰ অধিকাৰো ইয়াত দিয়া হ'ল। কমিউনিজিমৰ প্ৰকৃত নীতিৰ ই নিশ্চয় ব্যতিক্ৰম ; কিন্তু লেনিনে ইয়াৰ পক্ষে যুক্তি দৰ্শাই ক লে—ই এটা সাময়িক ব্যৱস্থা মাত্ৰ। জনসাধাৰণৰ দুখকষ্টৰ যে বহুখিনি ইয়াৰ জৰিয়তে শাম কাটিল তাত সন্দেহ নাই। কিন্তু অলপ দিনৰ ভিতৰতে ৰুচিয়াই আকৌ এটা ভয়াবহ বিপদৰ সন্মুখীন হব লগাত পৰিল। দেশত বৰ খৰাং বতৰৰ কাৰণে ৰুচিয়াৰ দক্ষিণ-পূব অঞ্চলৰ এটি বিস্তীৰ্ণ এলেকাৰ শস্য একেবাৰে নষ্ট হৈ গ'ল আৰু তাৰ ফলত হ'ল দুৰ্ভিক্ষ। বৰ ভয়াবহ দুৰ্ভিক্ষ, এনে দাৰুণ দুৰ্ভিক্ষৰ কথা সচৰাচৰ শুনা নযায়—বহু লক্ষ লোকৰ এই দুৰ্ভিক্ষত প্ৰাণহানি হ'ল। ইয়াৰ ঠিক আগতে দেশত একেলগে বহু বছৰ জুৰি যুদ্ধ চলিছিল ; গৃহযুদ্ধ চলিছিল, চলিছিল অৱৰোধ আৰু অৰ্থনৈতিক অসচ্ছলতা, তাৰ উপৰিও চোভিয়েট চৰকাৰে তেতিয়ালৈকে শান্তিৰ কাৰ্য-কলাপৰ ফালে মনোনিবেশ কৰিবলৈ সময় পোৱা নাছিল—সেই কাৰণেই যাজ ভাগতে এই নিদাৰুণ দুৰ্ভিক্ষৰ আঘাতত শাসন ব্যৱস্থা একেবাৰে উৰলি নোযোৱাটো একো বিচিত্ৰ কথা নহয়। তথাপিও কিন্তু আগৰ বহু বিপদৰ দৰে এই বিপদত চোভিয়েট উত্তীৰ্ণ হ'ল। এই দুৰ্ভিক্ষত ৰুচিয়াক সাহায্য কৰিবলৈ কোনে কি দিব পাৰে তাৰ আলোচনা কৰিবৰ কাৰণে য়ুৰোপৰ সকলো দেশৰ প্ৰতিনিধি লৈ এখন মন্ত্ৰনাসভা পাতিলে। এওঁলোকে ঘোষণা কৰিলে—অতীতত জাৰসকলে এওঁলোকৰপৰা যিমান ধন লৈছিল, চোভিয়েটে সেই ধন পৰিশোধ কৰিবলৈ যদি প্ৰতি-শ্ৰুতি দিয়ে তেতিয়াহে তেওঁলোকে সাহায্য কৰিব পাৰে—নহলে নোৱাৰে। মানৰ

ধৰ্মতকৈ ডাঙৰ হ'ল মহাজনৰ প্ৰবৃত্তি, অনাহাৰত মৰণমুখী শিশুসকলৰ কাৰণে খাদ্য বিচাৰি ৰুচিয়াৰ মাতৃসকলে যি মৰ্মভেদী আবেদন জনালে তাকো তেওঁলোকৰ কোনেও কাণ পাতি নুশুনিলে। আমেৰিকাৰ যুক্তৰাজ্যই কিন্তু এনেধৰণৰ কোনো চৰ্ত আৰোপ নকৰি ৰুচিয়ালৈ বহুতোখিনি সাহায্য পঠালে।

ইংলণ্ডে আৰু ইয়ুৰোপৰ অন্যান্য দেশসমূহে ৰুচিয়াৰ দুৰ্ভিক্ষৰ কাৰণে সাহায্য কৰিবলৈ অস্বীকাৰ কৰিলেও অন্যান্য বিষয়ত কিন্তু তেওঁলোকে ৰুচিয়াৰ সংশ্ৰব বৰ্জন কৰা নাছিল। ১৯২১ চনৰ প্ৰথম ভাগত ইংলেণ্ড আৰু ৰুচিয়াৰ মাজত এটি বাণিজ্য চুক্তি হৈছিল। তাক দেখি আৰু বহুতো দেশে৷ ৰুচিয়াৰ লগত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰিলে।

চীন, তুৰস্ক, পাৰস্য আৰু আফগানিস্থান প্ৰভৃতি প্ৰাচ্য দেশসমূহৰ প্ৰতি চোভিয়েটে উদাৰনীতি অৱলম্বন কৰিলে। জাৰসকলে এইবোৰ দেশৰপৰা বিবোৰ সুযোগ সুবিধা আদায় কৰি লৈছিল চোভিয়েটে সেইবোৰ একেবাৰে এৰি দিলে। তেওঁলোকৰ লগত প্ৰগাঢ় বন্ধুত্ব স্থাপনৰ চেষ্টা কৰিলে। চোভিয়েটৰ নীতি আছিল সকলো পৰাধীন আৰু শোষিত জাতিৰ স্বাধীনতা অৰ্জন—ই সেই নীতিৰেই ফল। কিন্তু তাৰ উপৰিও আৰু ডাঙৰ এটা উদ্দেশ্য চোভিয়েটৰ আছিল সেইটো হৈছে তেওঁলোকৰ নিজৰ অৱস্থা অলপ টনকিয়াল কৰি লোৱা। চোভিয়েট বাচিয়াৰ এই উদাৰ নীতিৰ ফলত ইংলেণ্ড আদি সাম্ৰাজ্যবাদী দেশবোৰ বহু সময়ত বৰ বিবোৰত পৰিছিল, প্ৰাচ্য দেশবোৰত এই দুই পক্ষৰ ভিতৰত কৰা তুলনামূলক বিচাৰত ইংলেণ্ড আৰু অন্যান্য ডাঙৰ দেশবোৰ হীন প্ৰতিপন্ন হৈ যায়।

১৯১৯ চনত আৰু এটি বৰ ডাঙৰ ঘটনা হয়—তাৰ কথা তোমাক কোৱাতো প্ৰয়োজন। এইটো হৈছে কমিউনিষ্ট দলৰদ্বাৰা মস্কোত তৃতীয় আন্তৰ্জাতিক প্ৰতিষ্ঠা। আগৰ কেইখন মান চিঠিত মই তোমাক প্ৰথম আৰু দ্বিতীয় আন্তৰ্জাতিকৰ কথা লেখিছিলো৷। প্ৰথম আন্তৰ্জাতিক প্ৰতিষ্ঠা কৰিছিল কাৰ্ল মাৰ্ক্সে আৰু দ্বিতীয় আন্তৰ্জাতিকতাৰ বহুতো সাহিয়াল কথাৰ শেষত ১৯১৪ চনৰ যুদ্ধ আৰম্ভ হোৱাৰ লগে লগেই তাৰ শোকাবহ পৰিণতি ঘটে। এই দ্বিতীয় আন্তৰ্জাতিকতা যিসকলে সৃষ্টি কৰিছিল সেই পুৰণি কৰ্মীসকল আৰু সমাজতন্ত্ৰবাদী দলবিলাকে শ্ৰমিক শ্ৰেণীৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে—এয়ে আছিল বলচেভিক সকলৰ মত। সেয়ে তেওঁলোকে তৃতীয় আন্তৰ্জাতিকতা প্ৰতিষ্ঠা কৰিলে। ইয়াৰ দৃষ্টিভঙ্গী বিশেষভাৱে বিপ্লৱাত্মক আৰু ইয়াৰ উদ্দেশ্য বণিকতন্ত্ৰ আৰু সাম্ৰাজ্যবাদৰ বিপক্ষে সংগ্ৰাম চলোৱা; যি সুবিধাবাদী সমাজতন্ত্ৰ মধ্যপন্থাৰে চলাৰ নীতি অনুসৰণ কৰে তেওঁলোকৰ লগতো সংগ্ৰাম কৰা। এই আন্তৰ্জাতিকতাক বহু সময়ত 'কমিনটাৰ্ণ' (কমিউনিষ্ট ইণ্টাৰ নেছনেলৰপৰা) বোলা হয়। কমিউনিষ্ট মতবাদ প্ৰচাৰৰ কাৰ্যত বহু দেশতেই ই বিশেষ কাম দেখুৱাইছে। ইয়াৰ নামৰপৰাই বুজিব পাৰি যে এইটো এটা আন্তৰ্জাতিক সংগঠন, বহুতো বিভিন্ন দেশৰ বহুতো কমিউনিষ্ট দলৰ নিৰ্দ্ধাৰিত সদস্য লৈ গঠিত। কিন্তু ৰুচিয়াই হৈছে একমাত্ৰ দেশ য'ত কমিউনিজিমৰ জয় প্ৰতিষ্ঠিত হৈছে; তাৰ কাৰণেই 'কমিনটাৰ্ণ', স্বভাৱত ৰুচিয়াই কৰ্তৃত্ব কৰে। এই কমিনটাৰ্ণ আৰু চোভিয়েট চৰকাৰ অৱশ্যে একে বস্তু নহয়—যদিও বহুতো লোক আছে যিসকলে এই দুয়োটাৰে নেতৃস্থানীয় হৈ কাম কৰিছিল। কমিনটাৰ্ণে খোলাখুলিভাৱে কয়

যে ই বিপ্লৱতন্ত্ৰী কমিউনিজম প্ৰচাৰৰ বাবে গঠিত হৈছে ; সেয়ে সাম্ৰাজ্যবাদী জাতিবিলাকে ইয়াক অতি অপচন্দ কৰে ; নিজৰ একেকাৰ ভিতৰত ইয়াৰ কাৰ্য্য-কলাপক তেওঁলোকে সদায় বাধা দিয়াৰ চেষ্টা কৰি আহিছে।

পশ্চিম ইয়ুৰোপৰ যুদ্ধৰ পিচত দ্বিতীয় আন্তৰ্জাতিকতা (শ্ৰমিক আৰু সমাজ-তন্ত্ৰবাদীসকলৰ আন্তৰ্জাতিক) আকৌ সজীৱ কৰি তোলা হয়। দ্বিতীয় আৰু তৃতীয় আন্তৰ্জাতিকতাৰ লক্ষ্য একেই কিন্তু তেওঁলোকৰ মতবাদ আৰু পদ্ধতি বহুত বেলেগ। দুয়োৰে মাজত কোনো প্ৰকাৰৰ সম্প্ৰীতিও নাই। এওঁলোকে পৰস্পৰৰ ভিতৰত যিমান যুদ্ধ বিগ্ৰহ চলায়, এওঁলোকৰ শত্ৰু ধনীকতন্ত্ৰৰ ওপৰতো সিমান আক্ৰমণ এওঁলোকে নকৰে। দ্বিতীয় আন্তৰ্জাতিকতাত আজিকালি অতি সম্ভ্ৰান্ত প্ৰতিষ্ঠান, কেইৰাবাৰো, কেইবাগৰাকী ইয়াৰ সভ্যই ইয়ুৰোপৰ বিভিন্ন দেশৰ মন্ত্ৰীসভা আদিতো স্থান লাভ কৰিছে। তৃতীয় আন্তৰ্জাতিকতা এতিয়াও বিপ্লৱপন্থী হৈয়েই আছে। এতেকে ই আৰু সম্ভ্ৰান্ত হৈ উঠিব পৰা নাই।

ৰুচিয়াত গৃহযুদ্ধৰ সময়খিনিত লোহিত আৰু শ্বেতবিভীষিকাৰ মাজত কোনে কিমানখিনি নিৰ্ম্মম অত্যাচাৰ চলাব পাৰে তাৰ প্ৰতিযোগিতা চলিছিল। এই প্ৰতিযোগিতাত সম্ভৱত: শেষৰ দলেই প্ৰথম দলক বহু দূৰ পিচ পেলাই আগবাঢ়ি গৈছিল। চাইবেৰিয়াত কলচাকে কৰা নৃশংসতাৰ যি বিৱৰণ আমেৰিকাৰ সেনাপতিয়ে দিছিল (তাৰ বিৱৰণ মই আগেয়ে উদ্ধৃত কৰিছে।) সেইটো আৰু আন আন লোকে দিয়া বিৱৰণ পঢ়িলে এই কথাৰে গম ধৰিব পাৰি। তথাপি লোহিত বিভীষিকা যে বৰ নিদাৰুণ কাণ্ড আছিল আৰু তেওঁ-লোকৰ হাততো নিশ্চয় বহুতো নিৰীহ লোকে দুৰ্নীতি সহিবলগীয়া হৈছিল তাত সন্দেহ নাই। বলচেভিকসকল তেতিয়া চাৰিওফালৰপৰা আক্ৰান্ত, তেওঁলোকৰ চাৰিওফালে নানা ছল চক্ৰান্ত আৰু গুপ্তচৰ। সেই কাৰণে তেওঁলোকৰ মনো বৰ উত্তেজিত হৈ উঠিছিল ; আৰু অতি সামান্য সন্দেহতে তেওঁলোকে অতি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰিছিল। তেওঁলোকৰ পুলিচ বাহিনীৰ ৰাজনৈতিক বিভাগটোৰ নাম আছিল 'চেকা', আৰু বিভীষিকা সৃষ্টিৰ বাবে সেই বিভাগটোৱে যথেষ্ট কুখ্যাতি অৰ্জ্জন কৰিছিল। এইটো ভাৰতবৰ্ষত থকা চি, আই, ডিৰ নিচিনা বিভাগ—অৱশ্যে এওঁবিলাকতকৈ তেওঁলোকৰ ক্ষমতা বহুত বেছি আছিল।

চিঠিখন বৰ বেচি দীঘলীয়া হ'ল। কিন্তু এইখন শেষ কৰাৰ আগতে মই লেনিনৰ সম্বন্ধে আৰু অলপ তোমাক কব লাগিব। ১৯১৮ চনৰ আগষ্ট মাহত তেওঁৰ প্ৰাণ নাশৰ চেষ্টা কৰা হয়। ইয়াত তেওঁ আহত হৈছিল, যদিও তেওঁ বিশেষ বিশ্ৰাম নললে। অতি পৰিশ্ৰমেৰে তেওঁ সমানে কাম কৰি যাবলৈ ধৰিলে। ইয়াৰ পৰিণতি যি হবলগীয়া সিয়েই হ'ল। তেওঁৰ শৰীৰ একেবাৰে ভাগি পৰিল। তেতিয়া তেওঁ কেইদিনমান বিশ্ৰাম ললে ; আৰু তাৰ পিছতেই আকৌ কামত লাগি গ'ল। কিন্তু বেছি দিন আৰু তেওঁ কাম কৰিব নোৱাৰিলে। ১৯২৩ চনত আকৌ তেওঁৰ শৰীৰ আগতকৈও বেছি বেয়া হ'ল। এই অৱস্থাৰ আৰু উন্নতি নহ'ল ; ১৯২৪ চনৰ ২১ জানুৱাৰীত মস্কো চহৰৰ কাষত তেওঁৰ মৃত্যু হ'ল

বহুত দিনলৈকে তেওঁৰ মৃতদেহ মস্কো চহৰতেই ৰখা হ'ল। তেতিয়া শীত-

কাল ; আন ৰাসায়নিক প্ৰতিক্ৰিয়াৰ যোগেদি তেওঁৰ শৱদেহটি ৰক্ষা কৰা হৈছিল। ৰুচিয়াৰ সকলো ঠাইৰপৰা সুদূৰ চাইবেৰিয়াৰপৰাও দলে দলে মানুহ আহিবলৈ ধৰিলে। সাধাৰণ প্ৰজা, কৃষক আৰু শ্ৰমিক পুৰুষ, মহিলা, আৰু শিশুসকলৰ প্ৰতিনিধি তেওঁলোক ; আহিছিল সেই প্ৰিয় সহকৰ্মীক তেওঁলোকৰ শেষ অভিবাদন জনাবলৈ—দৰিদ্ৰতাৰ অতল অন্ধকূপৰপৰা যিজনে তেওঁলোকক ওপৰলৈ টানি তুলি—জীৱনৰ পূৰ্ণতাৰ পথ চিনাকি কৰি দিছিল। মস্কোৰ সুন্দৰ ৰেড স্কোয়াৰত তেওঁলোকে তেওঁৰ কাৰণে এটি সহজ আৰু কাৰুকাৰ্যখচিত সমাধিমন্দিৰ ৰচনা কৰিলে—আজিও এটি আয়নাৰ আৱেষ্টনিৰ মাজত তেওঁৰ শৱদেহ সংৰক্ষিত হৈ আছে। প্ৰত্যেক গধূলি মানুহৰ এটি লানি নিছিগা শোভাযাত্ৰাই নীৰৱে সেই মন্দিৰ প্ৰদক্ষিণ কৰি প্ৰণাম জনায়হি। তেওঁৰ মৃত্যুৰ আজি দহ বছৰো হোৱা নাই, কিন্তু ইয়াৰ ভিতৰতেই লেনিনৰ নাম এটা মহান ঐতিহ্যত পৰিণত হৈছে, কেৱল তেওঁৰ নিজ দেশ ৰুচিয়াতে নহয়, গোটেই পৃথিৱীতেই। দিন যিমানে যাব ধৰিছে মানুহৰ চকুত লেনিন সিমানেই ডাঙৰ হৈ দেখা দিছে। পৃথিৱীত মানুহে যি কেইজন লোকক অমৰ আখ্যা দিছে লেনিন তেওঁলোকৰ ভিতৰত এজন। পেট্ৰোগ্ৰাডৰ নাম হ'ল লেনিনগ্ৰেড। ৰুচিয়াত এনে এটি গৃহস্থ নাই যাৰ ঘৰত এটি লেনিনৰ বেদী বা লেনিনৰ ছবি পোৱা নাযাব। কিন্তু লেনিন স্মৃতি স্তম্ভ বা ছবিৰ মাজত জীয়াই থকা নাই, জীয়াই আছে তেওঁ যি বিৰাট কাৰ্য্য সাধন কৰি গৈছে তাৰ মাজত ; জীয়াই আছে আজিৰ কোটি কোটি শ্ৰমিকৰ বুকুৰ মাজত, যিসকলে তেওঁৰ জীৱনৰপৰা অনুপ্ৰেৰণা পাইছে, আৰু সোণালী দিনৰ আশাৰ ৰেঙনি দেখিছে।

সেই বুলি লেনিন এটা অমানুষিক কাৰ্যৰ যন্ত্ৰ মাথোন অথবা তেওঁ নিজৰ কাম লৈ নিজেই মগ্ন আৰু আন একোৰে কথা তেওঁ নাভাবিছিল বুলি নাভাবিবা। তেওঁৰ নিজৰ কাম, তেওঁৰ জীৱনৰ উদ্দেশ্য তেওঁৰ প্ৰত্যেক মুহূৰ্তৰ সাধনা যে আছিল তাত সন্দেহ নাই কিন্তু তাৰ লগে লগে তেওঁ আছিল একেবাৰে আপোন ভোলা। এটি আদৰ্শই যেন ৰূপ পাইছিল তেওঁৰ মাজত। অথচ আনকালে আকৌ তেওঁ আছিল একেবাৰেই সৰল সহজ মানুহ। মানুহৰ প্ৰকৃতিত সৰলতাৰ যি ডাঙৰ পৰিচয় প্ৰাণ খুলি ডাঙৰকৈ হাঁহিব জানিছিল তেওঁ। চোভিয়েটৰ প্ৰথম যুগৰ বিপদৰ দিনত মস্কোত এজন বৃটিছ প্ৰতিনিধি আছিল—তেওঁৰ নাম আছিল লক-হাৰ্ট। তেওঁ কৈছিল, যিয়েই নহওক লেনিনৰ মন সদায় প্ৰসন্ন হৈ থাকে। 'জীৱনত যিমান কেইজন নেতাক মই দেখিছোঁ তেওঁৰ নিচিনা শান্ত স্বভাৱৰ আৰু কাকো দেখা নাই।' এয়ে হৈছে এই বৃটিছ কূটনীতিবিদ ভদ্ৰলোকজনৰ কথা। কথা আৰু কামত লেনিন আছিল যিমান সহজ সিমানেই পোনপটীয়া। ডাংকোপ মৰা কথা আৰু কৃত্ৰিম গাম্ভীৰ্যতাক তেওঁ বৰ ঘৃণা কৰিছিল। সঙ্গীত তেওঁ বৰ ভাল পাইছিল—ইমান ভাল পাইছিল যে তেওঁৰ প্ৰায়েই ভয় হৈছিল তেওঁৰ এই সঙ্গীত-প্ৰিয়তাই তেওঁৰ কাল হয়। তেওঁৰ মন ইমান কোমল কৰি পেলাব যে শেষত তেওঁৰ কামত ব্যাঘাত হ'ব।

লেনিনৰ এজন সহকৰ্মী আছিল লুনচাৰ্‌স্কি, বহু বছৰ ধৰি তেওঁ বলচেভিক চৰকাৰৰ শিক্ষা বিভাগৰ কমিছনাৰ আছিল। এওঁ এবাৰ লেনিনৰ সম্বন্ধে এটি আশ্চৰ্য উক্তি কৰিছিল। লেনিনে ধনিকতন্ত্ৰীসকলৰ উচ্ছেদ সাধন কৰিছে,

খ্রীষ্টয়ো খুদখোৰ মহাজনসকলক পূজা মন্দিৰৰপৰা বাহিৰ কৰি দিছিল। এই দুটা ঘটনা তুলনা কৰি তেওঁ কৈছিল, 'যীশুখ্রীষ্ট যদি আজি জীয়াই থাকিলহেঁতেন তেওঁ বলচেভিক হ'লহেঁতেন।' ধৰ্ম্মহীন লোকৰ মুখত ই এটি আচৰিত তুলনা। মহিলাসকলৰ বিষয়ে লেনিনে এবাৰ কৈছিল—'কোনো জাতিয়েই স্বাধীন হব নোৱাৰে, যেতিয়ালৈকে তেওঁলোকৰ জনসংখ্যাৰ আধা সংখ্যাই ৰান্ধনীঘৰত দাসী বৃত্তি কৰি বদ্ধ হৈ থাকে।' এদিন কিছুমান সুষ্ঠ সৰু ল'ৰাছোৱালীক মৰম কৰি কৰি তেওঁ এটা কথা কৈছিল কথাটো বিশেষ অৰ্থপূৰ্ণ। তেওঁৰ পুৰণি বন্ধু মেক্সিম গৰ্কিৰ মতে তেওঁ হেনো কৈছিল, 'ইহঁতৰ জীৱন সুখৰ জীৱন হব—যিমান সুখ আমি নাপালোঁ। আমি বহুতো দুখকষ্ট সহিবলগীয়া হৈছে। সেইবোৰ ইহঁতে সহ্য কৰিব নালাগে। ইহঁতৰ জীৱনত ইমান নিষ্ঠুৰতাৰ চিন নাথাকিব। আমি সকলোৱেই তাকেই আশা কৰোঁ।'

এই চিঠিখন মই ৰুচিয়াৰ এটি গীত উদ্ধৃত কৰি শেষ কৰিম। এই গীতটি অলপ দিন আগতে ৰচনা কৰা হৈছে, সম্পূৰ্ণ ঐক্যতান আৰু জনসাধাৰণৰ সমবেত সঙ্গীতৰ কাৰণে। যিসকলে এই গীতটি শুনিছে তেওঁলোকে কয় ইয়াৰ সুৰটি প্ৰায় আৰু শক্তিৰে ভৰপূৰ। গীতটি যেন বিদ্ৰোহী জনতাৰ উন্মাদনাৰ প্ৰতীক। ইয়াৰ এই অনুবাদটি-যিটো মই ইয়াত উদ্ধৃত কৰিছোঁ তাতো এই উন্মাদনাৰ কিঞ্চিত আভাস পোৱা যায়। গীতটিৰ নাম 'অক্টোবৰ' তাৰ অৰ্থ হৈছে ১৯১৭ চনৰ নৱেম্বৰ মাহৰ বলচেভিক বিপ্লৱ। তেতিয়া ৰুচিয়াত যি পঞ্জিকা ব্যৱহাৰ হৈছিল সেইটো তথাকথিত অসংশোধিত পঞ্জিকা; পাশ্চাত্য জগতত সাধাৰণ যি পঞ্জিকা প্ৰচলিত তাৰপৰা এইটো তেৰদিন পিচুৱাই থাকে। ই পঞ্জিকা অনুসৰি ১৯১৭ চনৰ মাৰ্চমাহৰ বিপ্লৱ ঘটিছিল ফেব্ৰুৱাৰী মাহত; এতেকে তেওঁলোকে তাৰ নাম দিছে 'ফেব্ৰুৱাৰী বিপ্লৱ'। তেনেকৈ আকৌ বলচেভিক বিপ্লৱ ঘটিছিল ১৯১৭ চনৰ নৱেম্বৰ মাহৰ প্ৰথম ফালে; এওঁলোকৰ হিচাব মতে তাৰ নাম হৈছে—'অক্টোবৰ বিপ্লৱ'। এতিয়া ৰুচিয়াত তেওঁলোকৰ পঞ্জিকাৰ সলনি *সংশোধিত পঞ্জিকা প্ৰৱৰ্ত্তন কৰিছে। কিন্তু সেই পুৰণি নামবোৰ তেওঁলোকে এতিয়াও* ব্যৱহাৰ কৰে। এতিয়া 'অক্টোবৰ' গীতটিৰ অনুবাদ দিও

আমি ঘূৰি ফুৰো কাম আৰু অন্ন ভিক্ষা কৰি
আমাৰ হৃদয় বেদনাৰে অৱশ হৈ থাকে,
কাৰখানাৰ চিমনিবিলাকে আকাশৰ ফালে ইঙ্গিত কৰে।

সেইবোৰ যেন ক্লান্ত হৈ পৰা হাত
আত মুঠি মাৰিবলৈ শক্তিৰ লেশমাত্ৰ নাই
ৰৱতোপৰ ধ্বনিতকৈও তীব্ৰ
আমাৰ দুখৰ কাহিনী আৰু বেদনাৰ
আৰ্ত্তনাদত নিস্তব্ধতা ভাঙি যায়
হে লেনিন, ক্লান্ত হাতৰ তুমি মূৰ্ত্ত প্ৰতীক।
আমি বুজিছো লেনিন, আমি বুজিছোঁ
আমাৰ ভাগ্যই হৈছে মাত্ৰ এটি সংগ্ৰাম। সংগ্ৰাম সংগ্ৰাম।
তুমি আমাৰ হাতত আনি দিলা শ্ৰমিকৰ জয়

অজ্ঞতা আৰু অত্যাচাৰৰ ওপৰত আমাৰ জয়—
ইয়াক আমাৰ হাতৰপৰা কোনেও কাঢ়ি নিব নোৱাৰিব,
কোনেও, কোনেও নোৱাৰে, কেতিয়াও নোৱাৰে কেতিয়াও
সকলো আজি ডেকা হৈ উঠক, উঠক সংগ্ৰামৰ
সাহসী বীৰৰূপে
কাৰণ আমাৰ জয়ৰ নামেই হ'ল 'অক্টোবৰ'
অক্টোবৰ, অক্টোবৰ।
অক্টোবৰে বাতৰি কঢ়িয়াই আনিছে সূৰ্যৰ পৰা
অক্টোবৰ হৈছে শতশতাব্দীৰ বিদ্ৰোহী মনৰ প্ৰতীক
অক্টোবৰ ই এটি শ্ৰম, এটি আনন্দ, এটি সঙ্গীত
অক্টোবৰ খেতিৰ পথাৰ আৰু কাৰখানাৰ কৰ্মৰৰ
পক্ষে, এটি পৰম সৌভাগ্য
তাৰ বাবে আমাৰ পতাকাৰ নাম জীৱন্ত হৈ ৰ'ল
নবীন যুগৰ মানুহৰ আৰু লেনিনৰ!

১৫৩

চীনৰ ওপৰত জাপানৰ অত্যাচাৰ

১৪ এপ্রিল, ১৯৩৩

মহাযুদ্ধ চলি থকা অৱস্থাতে সুদূৰ প্রাচ্যত কিছুমান ঘটনা ঘটিছিল—যিবোৰৰ বিষয়ে আমি জনাটো আৱশ্যক। এতেকে মই এইবাৰ তোমাক চীন দেশলৈ লৈ যাম। চীন সম্পৰ্কে মোৰ শেষ চিঠিত মই তোমাক কৈছিলোঁ কিদৰে তাত এটি প্রজাতন্ত্র স্থাপিত হ'ল আৰু তাৰপৰা আকৌ কিভাৱে সকলো বিপদ- বিঘিনিৰ সৃষ্টি হ'ল। সাম্রাজ্য পুনৰ স্থাপনৰ কাৰণে বহুতো প্রচেষ্টা চলোৱা হৈছিল। সেই চেষ্টা সফল নহ'ল। কিন্তু সমগ্র দেশজুৰি প্রজাতন্ত্রই তাত অধিকাৰ বিয়পাব নোৱাৰিলে; নতুবা, ক'ব পাৰি যে কোনো এটি চৰকাৰেই সেই কাম কৰিবলৈ সমৰ্থ নহয়। তেতিয়াৰপৰা আৰম্ভ কৰি আজিলৈকে চীনত এনে কোনো কর্তৃপক্ষ নোলাল যি চীনৰ সম্পূর্ণ এলেকাত একছত্রী শাসন প্রতিষ্ঠা কৰিব পাৰিছে। কেইবছৰমানৰ কাৰণে এই দেশত দুটি প্রধান চৰকাৰ প্রতিষ্ঠিত হৈছিল—উত্তৰ আৰু দক্ষিণ চীনৰ চৰকাৰ। দক্ষিণত ডঃ চান য়াংচেন আৰু তেওঁৰ জাতীয়তাবাদী দলত কুৱমিনটাঙৰ প্রধান্য আছিল। উত্তৰত শাসন কৰিছিল য়ু-আন ছিহ কাই, তাৰ পিছতো কেইজনমান সেনাপতি আৰু সামৰিক কর্মচাৰীয়ে সেই অঞ্চল ইজনৰ পিছত সিজনকৈ ক্রমান্বয়ে শাসন কৰিছিল। এই দুঃসাহসী ৰণকুশলী-সকলক 'টুচুন' বোলা হৈছিল। এতিয়াও এওঁলোক এই নামেৰেই পৰিচিত। সম্প্রতি কেইবছৰমানৰপৰা এওঁলোক চীন দেশৰ কাৰণে একপ্রকাৰ অভিশাপস্বৰূপ হৈ পৰিছে।

চীনৰ তেতিয়া বেয়া অৱস্থা; দেশত বিশৃঙ্খলতাৰ ৰাজত্ব চলিছে, তাৰ উপৰিও গৃহযুদ্ধ, উত্তৰ আৰু দক্ষিণ অঞ্চলৰ মাজত আৰু বিভিন্ন প্রতিদ্বন্দ্বী, টুচুনসকলৰ ভিতৰত মৰামৰি কটাকটি চলি আছে। সাম্রাজ্যবাদীসকলৰ পক্ষে চক্রান্ত চলাবলৈ পৰম শুভ মুহূর্ত। এবাৰ এইপক্ষে বা এজন টুচুনক, এবাৰ সেই পক্ষক বা আন এজন টুচুনক সহায় কৰি দেশত হাই—কাজিয়াৰ সৃষ্টি কৰি ৰখা আৰু সেই সুবিধাতে নিজৰ কিছু লাভ কৰি লোৱাৰ সুযোগ উলিয়াই লৈছিল। তোমাৰ নিশ্চয় মনত আছে যে ভাৰতবৰ্ষতো ইংৰাজে এই ধৰণেই নিজক প্রতিষ্ঠিত কৰিছিল। ইয়াতো ইয়ুৰোপৰ জাতিসমূহে এই সুযোগৰ সদব্যৱহাৰ কৰিলে; ছল-চক্রান্ত কৰি আৰু এজন টুচুনক আন এজনৰ বিৰুদ্ধে উচটাই দি। কিন্তু অলপ দিনৰ পিছতে

তেওঁলোকে নিজৰ ৰক্ষৰ্য়া বিপদ আৰু বিশ্বযুদ্ধৰ কাৰণে নিজে ব্যুত হৈ পৰিল আৰু বাধ্য হৈ সুদূৰ প্ৰাচ্যত তেওঁলোকৰ এই কাৰ্যকলাপ বন্ধ কৰি দিলে।

জাপানৰ ক্ষেত্ৰত কিন্তু সেইটো নহ'ল। মহাযুদ্ধৰ তাণ্ডৱ তাণ্ডৱ যুদ্ধ বিগ্ৰহবোৰ বহুত দূৰত সংঘটিত হৈছিল, সেয়ে জাপানে ভাবিলে চীনত তেওঁলোকৰ পুৰণি নীতি আকৌ স্বচ্ছন্দে আৰু নিৰ্ভয়ে অনুসৰণ কৰিব পাৰে। দৰাচলতে তেতিয়াই সেই কাম কৰাৰ সুযোগ তেওঁলোকৰ পক্ষে আগতকৈ বেছি; কাৰণ আন সকলো জাতি তেতিয়া আন ঠাইত ব্যস্ত হৈ আছে, তেওঁলোকৰ কামত বাধা দিবলৈ কোনোবা আহিব তেনে কোনো সম্ভাৱনা নাই। জাপানে জাৰ্মাণীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে মাথোন চীনত থকা জাৰ্মাণৰ কিয়াচাও অঞ্চল হস্তগত কৰিবলৈ আৰু তাৰ পিছত চীন দেশৰ ভিতৰত আৰু বহুদূৰ সোমাই পৰিবলৈ।

চীন সম্বন্ধে জাপানৰ কূটনীতি যোৱা দুকুৰি বছৰ ধৰি আচৰিতভাৱে একে ধৰণেৰে চলিছে। সৈন্যবাহিনীক আধুনিক শিক্ষা আৰু সাজ-সজ্জাৰে শিক্ষিত কৰাৰ আৰু দেশত শিল্প প্ৰগতিৰ প্ৰতিষ্ঠা কৰাৰ লগে লগেই জাপানে স্থিৰ কৰিলে যে চীনক তেওঁলোকৰ হাতৰ মুঠিত আনিব লাগিব; তেওঁলোকৰ প্ৰভাৱ প্ৰতিপত্তি আৰু ব্যৱসায় বাণিজ্য বঢ়োৱাৰ কাৰণে তেওঁলোকক ঠাই লাগে। কোৰিয়া আৰু চীন দুয়োখনেই তেওঁলোকৰ হাতৰ কাষতে, আৰু দুয়োখনেই দুৰ্বল দেশ; এতেকে তালৈ গৈ প্ৰভুত্ব আৰু শোষণ চলোৱাৰ লোভ জাপানৰ হোৱাটো স্বাভাৱিক। তেওঁলোকে প্ৰথম চেষ্টা কৰিলে ১৮৯৪-৯৫ চনত চীনৰ সৈতে যুদ্ধ কৰি। সেই যুদ্ধত তেওঁলোকৰ জয়ো হ'ল। কিন্তু যিমানখিনি আশা কৰিছিল সিমানখিনি ঠাই দখল কৰি নিবলৈ তেওঁলোকে নোৱাৰিলে। ইয়ুৰোপৰ কেইটামান জাতিয়ে তেওঁলোকক বাধা দিলেহি। তাৰ পিছত এখন কঠিন সংগ্ৰাম আৰম্ভ হ'ল। ১৯০৪ চনত ৰুচিয়াৰ লগত যুদ্ধ। এই যুদ্ধতো তেওঁলোকে জয় লাভ কৰিলে, কোৰিয়া আৰু মাঞ্চুৰিয়াত তেওঁলোকে কটকটীয়া শাসন প্ৰতিষ্ঠিত কৰি ৰহিল। ইয়াৰ অলপ দিন পিছতে কোৰিয়া তেওঁলোকে দখল কৰি ললে, কোৰিয়া জাপান সাম্ৰাজ্যৰ এটি অংশত পৰিণত হ'ল।

মাঞ্চুৰিয়া কিন্তু তেতিয়াও চীনৰ অংশ বুলি পৰিগণিত হৈ থাকিল। চীনৰ পূব অঞ্চলৰ তিনিখন প্ৰদেশ লৈ মাঞ্চুৰিয়া গঠিত; তাৰ নাম উল্লেখ কৰা হয় সেই বুলিয়েই। জাপানীসকলে ৰুচিয়াৰ দখল স্বত্ব থকা অঞ্চলখিনি দখল কৰি ললে। ৰুচসকলে যি ৰেলপথটি তৈয়াৰ কৰিছিল তাৰ নাম ইমান দিনে আছিল চাইনিজ ইষ্টাৰ্ণ ৰেলৱে। জাপানীসকলে এই ৰেলপথটিও হস্তগত কৰি ললে; ইয়াৰ নাম সলনি কৰি 'চাউথ মাঞ্চুৰিয়া ৰেলৱে' ৰখা হ'ল। জাপানে এতিয়া মাঞ্চুৰিয়াৰ ওপৰত ভাল কৰ্তৃত্ব ৰাখিবলৈ স্থিৰ কৰিলে। চীনৰ জনসংখ্যা অতি বেছি। ইতিমধ্যে এই ৰেলৱেৰ যোগেদি চীনৰ আন আন সকলো অঞ্চলৰপৰা বহুতো লোক ইয়ালৈ গুচি আহিছে; বহুতো চীনা কৃষকো আহি উপস্থিত হৈছে। মাঞ্চুৰিয়াত 'চয়বিন' নামৰ এবিধ শস্য বৰ ভাল হয়। এই চয়বিনৰ বহুত ভাল গুণ আছে বুলি পৃথিৱীৰ সকলোতে ইয়াৰ চাহিদা বাঢ়ি গ'ল। এই চয়বিনৰপৰা যিবোৰ বস্তু তৈয়াৰ হয় তাৰ ভিতৰত প্ৰধান হ'ল এবিধ তেল। এই 'চয়বিনৰ' খেতিৰ বাবেও বাহিৰৰপৰা বহুলোকৰ আমদানি হ'ব

ধৰিলে। এতেকে জাপানীসকলে যেতিয়া ইয়াৰ কর্তৃত্বটো মাঞ্চুৰিয়াৰ অর্থনৈতিক জীৱনটোক সম্পূর্ণৰূপে তেওঁলোকৰ অধীনলৈ আনিবলৈ চেষ্টা কৰিলে ঠিক সেই সময়তে ইফালে দক্ষিণ চীনৰ পৰা চীনাসকল জাকে জাকে আহি দেশখন ভৰাই পেলালে। এই চীনা খেতিয়ক আৰু অন্যান্য নতুনকৈ অহা লোকৰ সমুদ্ৰত পুৰণি মাঞ্চুৰিয়াৰ অধিবাসীসকল একেবাৰে ডুব গ'ল। সংস্কৃতি আৰু মনোভাৱৰ ফালৰপৰা তেওঁলোক সম্পূর্ণৰূপে চীনা হৈ পৰিল।

চীনত প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা হোৱাটো জাপানীসকলে পছন্দ কৰা নাছিল। চীনৰ শক্তি বাঢ়িব পৰা সকলো কথাতে তেওঁলোকৰ আপত্তি। তেওঁলোকৰ সকলো কূটনৈতিক প্ৰচেষ্টাৰ লক্ষ্য আছিল চীন যাতে সংঘবদ্ধ হৈ এটি শক্তিশালী ৰাষ্ট্ৰ হৈ উঠিব নোৱাৰে তাৰ পথ বন্ধ কৰা। এতেকে জাপানে বৰ উৎসাহেৰে এজন টুচুনক আন এজন টুচুনৰ বিৰুদ্ধে সকলোপ্ৰকাৰে সহায় কৰিবলৈ ধৰিলে— যাতে দেশৰ আভ্যন্তৰীণ বিশৃঙ্খলতা অব্যাহত থাকে।

চীনৰ নতুন প্ৰজাতন্ত্ৰৰ আগত তেতিয়া বৰ ডাঙৰ ডাঙৰ সমস্যাৰ উদ্ভৱ হৈছে। ই কেৱল মৰণমুখী সাম্ৰাজ্যবাদী চৰকাৰৰপৰা ৰাজনৈতিক ক্ষমতা কাঢ়ি লোৱাৰ প্ৰশ্নই নহয়। কেন্দ্ৰীয় চৰকাৰ বুলিবলৈ তেতিয়া প্ৰায় একোৱেই নাছিল; গতিকে ৰাজনৈতিক ক্ষমতা কাঢ়ি লবলৈকো বিশেষ একো নাছিল। সেই ক্ষমতা এওঁলোকে তেতিয়া নিজে গঢ়ি লব লাগিছিল। পুৰণি চীন নামতহে এখন সাম্ৰাজ্য। দৰাচলতে ই আছিল বহুতো স্বাধীন অঞ্চলৰ এটি সমন্বয়। এইবোৰৰ মাজত পৰস্পৰৰ মাজেোনো বিশেষ কটকটীয়া নাছিল। প্ৰদেশবিলাক কম বেছি পৰিমাণে স্বাধীন আনকি চহৰ আৰু গাওঁবোৰো প্ৰায় তেনে ধৰণেই আছিল। কেন্দ্ৰীয় চৰকাৰ বা সম্ৰাটৰ প্ৰভুত্ব এওঁলোকে মুখত স্বীকাৰ কৰিছিল; কিন্তু স্থানীয় সমস্যাত এই চৰকাৰে কেতিয়াও হস্তক্ষেপ নকৰিছিল। 'এক কেন্দ্ৰীয়' ৰাষ্ট্ৰ বুলিলে আমি যি বুজো, তাত ৰাষ্ট্ৰীয় ক্ষমতা আৰু আচল শাসনৰ কর্তৃত্ব এটি কেন্দ্ৰত কেন্দ্ৰীভূত হৈ থাকে দেশ শাসনৰ বিভিন্ন বিষয় মাজতো এটি ঐক্য থাকে। ইয়াত কিন্তু তেনেধৰণৰ একোৱেই নাছিল। পাশ্চাত্য জগতৰ শিল্প বাণিজ্য আৰু সাম্ৰাজ্যবাদীসকলৰ লোভৰ হেঁচাত এই ঢিলা-সোলোকা মাজোনৰ ৰাষ্ট্ৰখন (ৰাষ্ট্ৰনীতিৰ ভাষাত) ভাগি পৰিছিল। চীনে বুজিলে যদি এই হেঁচা সহ্য কৰি আকৌ জীয়াই থাকিব লাগে তেন্তে তেওঁলোকৰ একমাত্ৰ উপায় হৈছে চীনদেশক এটি শক্তিশালী 'এককেন্দ্ৰিক' ৰাষ্ট্ৰত পৰিণত কৰা, য'ত সকলোৱে বাবে ঠিক একে প্ৰকাৰৰ শাসন-ব্যৱস্থা প্ৰচলিত হব। এতেকে নতুন প্ৰজাতন্ত্ৰই ঠিক এনেধৰণৰ ৰাষ্ট্ৰ সৃষ্টি কৰিব বিচাৰিলে। এইটো সেই দেশৰ কাৰণে নতুন কথা; সেয়েহে এই কাম সম্পন্ন কৰোতে প্ৰজাতন্ত্ৰ নানান জটিল সমস্যাৰ সন্মুখীন হব লগীয়া হ'ল। দেশত তেতিয়া যাতবি পৰিবহনৰ সু-ব্যৱস্থা, ভাল ৰাষ্টাঘাট, ৰেলৱে নাই। দেশত ৰাজনৈতিক ঐক্য স্থাপনৰ পথত এইবিলাকেই একো একোটি প্ৰকাণ্ড বাধা হৈ উঠিল।

অতীতৰ চীন অধিবাসীসকলে ৰাজনৈতিক ক্ষমতা বোলা বস্তুটো এটি দৰকাৰী বস্তু বুলি বিবেচনা কৰা নাছিল। তেওঁলোকৰ সেই বিৰাট সভ্যতাৰ সকলোখিনি গঢ়ি উঠিছিল তেওঁলোকৰ সংস্কৃতিক আশ্ৰয় কৰি; মানুহৰ প্ৰতি তেওঁলোকৰ

শিক্ষা আছিল স্কুলৰ, সুষ্ঠু জীৱন যাপনৰ উপায়। পৃথিৱীত তেওঁলোকৰ সমকক্ষ আৰু ক'তো কোনোদিনে দেখা নাযায়। নিজৰ এই পুৰণি সংস্কৃতিয়ে তেওঁলোকৰ সকলো চেতনা এনেদৰে আবৰি আছিল যে দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থা যেতিয়া একেবাৰে ভাগি পৰিল তেতিয়া তেওঁলোকে সেই পুৰণি সংস্কৃতিৰ স্মৰণ কৰণকেই আকোৱালি ধৰি ৰহি থাকিল। জাপানে নিজৰ ইচ্ছাতেই পাশ্চাত্য শিল্পৰীতি, আৰু পাশ্চাত্য ৰীতি-নীতি গ্ৰহণ কৰি লৈছিল, অথচ মনে-প্ৰাণে তেওঁলোক তেতিয়াও সামন্তবাদী প্ৰথাৰেই পূজাৰী হৈ থাকিল। চীনা সকল সামন্তবাদী প্ৰথাত বিশ্বাসী নাছিল; তেওঁলোকৰ মন যুক্তিবাদ আৰু বৈজ্ঞানিক অনুসন্ধিৎসুতাৰে ভৰা আছিল। বিজ্ঞান আৰু শিল্পৰ ক্ষেত্ৰত পাশ্চাত্য জগতে যি বিপুল প্ৰগতি দেখুৱাইছে তাৰ ফালে তেওঁলোকে সতৃষ্ণ নয়নে চাইছিল। তথাপি কিন্তু জাপানৰ দৰে সেই সভ্যতাক নিজৰ কৰি লবলৈ চীনে লৰাধৰা নকৰিলে। অৱশ্যে এইটো কৰিবলৈ যোৱাৰ বাটত অন্তৰায়ো বহুতো। জাপানৰ কিন্তু সেইটো নাছিল। তদুপৰি পুৰণি সংস্কৃতিৰ লগত যোগসূত্ৰ বিচ্ছিন্ন হৈ যাব পাৰে, এনে কোনো কাম কৰিবলৈ তেওঁলোকৰ আপত্তি আছিল। চীনৰ মন আছিল দাৰ্শনিকৰ মন; দাৰ্শনিকসকলে লৰালৰিকৈ কাম নকৰে। তেওঁলোকৰ মনৰ মাজত অৱশ্যে তেতিয়া তুমুল সংগ্ৰাম চলিছিল; আজিও চলিছে। কাৰণ তেওঁলোকৰ আগত যিবোৰ সমস্যা আহি দেখা দিছিল, যিবোৰে তেওঁলোকক বিব্ৰত কৰি তুলিছিল, সেইবোৰ কেৱল ৰাজনৈতিক সমস্যাই নহয়, অৰ্থনীতি, সমাজনীতি, বুদ্ধিবৃত্তি, শিক্ষা—দীক্ষা আদি সকলো বিষয়তে তেওঁলোক সমস্যাত পৰিবলগীয়া হৈছিল।

তাৰ উপৰিও চীন বা ভাৰতবৰ্ষৰ দৰে বিশাল দেশৰ পক্ষে, তাৰ আয়তনৰ কাৰণেই বহুত সমস্যাৰ উদ্ভৱ হয়। এইবোৰ দেশ হৈয়ো আচলতে একো একোখন মহাদেশৰ দৰে। একোখন মহাদেশৰ দৰেই বিশাল গুৰুভাৰ লৈ এওঁলোক লৰচৰ কৰাতো সহজ নহয়। হাতীয়ে যেতিয়া এবাৰ আচাৰ খাই পৰে, সি আকৌ পোন হৈ ঠিয় হবলৈ সময় লাগে; মেকুৰী বা কুকুৰৰ দৰে একেজাপে উঠি থিয় হোৱাটো তাৰ সাধ্যৰ অতীত।

বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগেই জাপানে মিত্ৰপক্ষৰ লগত যোগ দিলে, জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। কিয়াওচাও দখল কৰিলে, তাৰ পিছত চানটুং প্ৰদেশৰ ওপৰেদি নিজৰ ক্ষমতা বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিলে। এই চানটুং প্ৰদেশতেই কিয়াওচাও অৱস্থিত। জাপানৰ এই অগ্ৰগতিৰ অৰ্থ হ'ল জাপানীসকলে খাচ চীনৰ ওপৰত অভিযান চলোৱাতো জাৰ্মানীৰ লগত যুদ্ধ-বিগ্ৰহৰ কোনো কথাই নুঠিল কাৰণ এই অঞ্চলৰ লগত জাৰ্মানীৰ কোনো সম্পৰ্ক নাই। চীন চৰকাৰে খুব ভদ্ৰভাৱে তেওঁলোকক উভতি যাবলৈ অনুৰোধ কৰিলে। জাপানী সকলে এই কথা শুনি ক'লে, ইমান সাহ নে? তেওঁলোকে ততাতৈয়াকৈ এটি চৰকাৰী টোকা চীনৰ ওপৰত দাখিল কৰিলে, তাতে তেওঁলোক একৈশদফীয়া এটি দাবী জনালে।

'একৈশ দফীয়া দাবী' বৰ বিখ্যাত হৈ পৰিল। ইয়াত মই সেই দাবীসমূহৰ কথা উল্লেখ নকৰোঁ। ইয়াৰ পোনপটীয়া কথাটো আছিল—চীনদেশৰ সকলো

বকমৰ অধিকাৰ, আৰু সুযোগ সুবিধা জাপানক এৰি দিব লাগিব—বিশেষকৈ মাঞ্চুৰিয়াত মঙ্গোলিয়াত আৰু চানটুং প্ৰদেশত। এই দাবীসমূহ সকলো মানি ললে চীন দৰাচলতে জাপানৰ এটি উপনিৱেশত পৰিণত হৈ যায়। উত্তৰ চীনৰ শক্তিহীন কৰ্তৃপক্ষৰ এই দাবীত আপত্তি জনালে। কিন্তু জাপানৰ শক্তিশালী সৈন্যবাহিনীৰ বিৰুদ্ধে থিয় হৈ বা তেওঁলোকে কি কৰিব ? তাৰ উপৰিও উত্তৰ অঞ্চলৰ এই চীনাচৰকাৰক নিজৰ প্ৰজাসকলেও বেছি ভাল নাপাইছিল। বি হৃক এটা কাম তেওঁলোকে কৰিলে আৰু তাত চীনৰ বৰ উপকাৰ হ'ল। জাপানীসকলৰ দাবীসমূহ এওঁলোকে বাহিৰত প্ৰচাৰ কৰি দিলে। তাৰ ফলত লগে লগেই চীনৰ সমগ্ৰ অঞ্চল জুৰি এটি প্ৰতিবাদৰ ধ্বনি উঠিল। আন আন ডাঙৰ জাতি সমূহ তেতিয়া যুদ্ধ কৰিবলৈ সাজি-কাছি ওলাইছে ; তথাপি তেওঁলোকো ইয়াত অতি ক্ষুব্ধ হৈ উঠিল। আমেৰিকাইতো বিশেষভাৱে আপত্তি জনালে। ইয়াৰ ফলত জাপানে তেওঁলোকৰ কিছুমান দাবী প্ৰত্যাহাৰ কৰিলে। আৰু কিছুমান দাবীৰ শুধৰণি কৰিলে। বাকীবোৰৰ কাৰণে অৱশ্যে চীন চৰকাৰৰ ওপৰত তেওঁলোকে জোৰ-জুলুম চলাবলৈ ধৰিলে। বাধ্য হৈ ১৯১৫ চনৰ মে' মাহত চীন চৰকাৰে সেই বিলাক মানি ললে। ইয়াৰ ফলত চীনৰ সকলোতে প্ৰবল জাপান বিৰোধী মনোভাৱ সৃষ্টি হ'ল।

১৯১৭ চনৰ আগষ্ট মাহত, যুদ্ধ আৰম্ভ হোৱাৰ তিনিবছৰৰ পিছত, চীনেও মিত্ৰ পক্ষৰ লগত যোগ দিলে ; জাৰ্মাণীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। এইটো প্ৰায় এটা হাঁহি উঠা কথা। জাৰ্মাণীক কোনো আঘাত কৰাৰ সাধ্য চীনৰ নাছিল। তেওঁলোকৰ একমাত্ৰ উদ্দেশ্য আছিল মিত্ৰ পক্ষৰ লগত এটা সম্ভাৱ স্থাপন কৰা আৰু জাপানৰ দৃঢ় আলিঙ্গনৰপৰা নিজক ৰক্ষা কৰা।

ইয়াৰ অলপদিন পিছতেই ১৯১৭ চনৰ নবেম্বৰ মাহত হ'ল বলচেভিক বিপ্লৱ। এই বিপ্লৱৰ ফলত উত্তৰ এচিয়াৰ সকলোতে ভীষণ বিশৃঙ্খলতাই দেখা দিলে। চোভিয়েট আৰু চোভিয়েট বিৰোধীসকলৰ সংগ্ৰামৰ এটি ৰণক্ষেত্ৰ হ'ল চাইবেৰিয়া। ৰুচিয়াৰ শ্বেতদলৰ সেনাপতি কলচাকে চাইবেৰিয়াত আশ্ৰয় লৈ তাৰপৰা চোভিয়েটৰ বিৰুদ্ধে যুদ্ধ চলাবলৈ ধৰিলে। চোভিয়েটৰ জয়লাভ দেখি জাপানে ভয় খালে ; আৰু তেওঁলোকে এটি বিৰাট সৈন্যবাহিনী চাইবেৰিয়ালৈ পঠিয়াই দিলে। বৃটিছ আৰু আমেৰিকাৰ সৈন্যও তালৈ পঠিওৱা হ'ল। কিছুদিনৰ কাৰণে চাইবেৰিয়া আৰু মধ্য এচিয়াত ৰুচিয়াৰ প্ৰভাৱ প্ৰতিপত্তি বুলিবলৈ একেবাৰেই নোহোৱা হ'ল। এইবোৰ অঞ্চলত ৰুচিয়াৰ সকলো মান মৰ্যদা। একেবাৰে লোপ কৰি দিবলৈ বৃটিছ চৰকাৰে প্ৰাণপনে চেষ্টা কৰিলে। মধ্য এচিয়াৰ কেন্দ্ৰস্থল কাচগড়ত বৃটিছসকলে এটি জনাতাঁৰ কেন্দ্ৰ স্থাপন কৰিলে, তাৰপৰা বলচেভিকসকলৰ বিৰুদ্ধে নানা প্ৰকাৰৰ প্ৰচাৰ কাৰ্য চলাবলৈ ধৰিলে।

মঙ্গোলিয়াত চোভিয়েটৰ সমৰ্থক আৰু বিৰোধী লোকসকলৰ মাজত এখন ডাঙৰ যুদ্ধ হ'ল। বহু দিনৰ আগতে ১৯১৫ চনত মহাযুদ্ধ চলি থকা অৱস্থাত মঙ্গোলিয়াই এটা কাম কৰিছিল, জাৰৰ শাসনৰ তলত থকা ৰুচিয়াৰ সাহায্যত চীন চৰকাৰৰপৰা তেওঁলোকে বহুখিনি স্বায়ত্ত শাসনৰ অধিকাৰ আদায় কৰি

লৈছিল। তেতিয়াও কিন্তু চীনেই তেওঁলোকৰ সৰ্ব্বময় কৰ্ত্তা স্বৰূপে থাকিল; বৈদেশিক সম্পৰ্কৰ কালৰপৰা কচিয়াকো তাত থাকিবলৈ দিয়া হ'ল। ই এটা আচৰিত ব্যৱস্থা। চোভিয়েট বিপ্লৱৰ পিছত মঙ্গোলিয়াত্তো গৃহযুদ্ধ আৰম্ভ হয়। তিনি বছৰ বা তাতোকৈ বেছিদিন সংগ্ৰাম চলাৰ পিছত তাৰ স্থানীয় চোভিয়েট-সকলে জয়লাভ কৰিলে। বিশ্বযুদ্ধৰ পিছত যি শান্তি সন্মিলন বহিল তাৰ কথা এতিয়ালৈকে তোমাক একো কোৱা নাই। সেই সম্বন্ধে আলোচনা মই আন এখন চিঠিত কৰিম। কিন্তু এটা কথা ইয়াতেই কব পাৰি যে এই সন্মিলনত যি ডাঙৰ জাতিবোৰ উপস্থিত আছিল তাৰ মানে বিশেষকৈ ইংলেণ্ড, ফ্ৰান্স, আৰু আমেৰি-কাৰ যুক্তৰাজ্য—এওঁলোকে ঠিক কৰিলে যে চীনৰ চানটুং প্ৰদেশখন জাপানক উপহাৰ দিব। এইদৰে মহাযুদ্ধৰ ফলত চীনে তেওঁলোকৰ দেশৰ এটি অংশ এৰি দিবলৈ বাধ্য হ'ল। ইয়াৰ কাৰণ হ'ল যুদ্ধৰ সময়ত হেনো ইংলেণ্ড, ফ্ৰান্স, আৰু জাপানৰ মাজত কিবা এটা গোপন সন্ধি হৈছিল। কিন্তু ইয়াৰ কাৰণ যিয়েই নহওক, চীনৰ ওপৰত যি এই অন্যায় চক্ৰান্ত কৰিলে তাৰ ফলত চীনৰ জন-সাধাৰণ অতিশয় ক্ৰোধান্বিত হৈ উঠিল; পিকিঙৰ চৰকাৰক তেওঁলোকে জনাই দিলে যে যদি চৰকাৰে এইকথা স্বীকাৰ কৰি লয় তেন্তে তেওঁলোকে দেশত বিপ্লৱ ঘটাইহে এৰিব। জাপানৰ সকলো বস্তুকে এওঁলোকে বৰ্জ্জন কৰিলে; বহু ঠাইত জাপানীসকলৰ বিৰুদ্ধে মাৰধৰো আৰম্ভ হল। চীন চৰকাৰে (এই নামেৰে মই উত্তৰ অঞ্চল পিকিঙৰ চৰকাৰকে বুজাইছো এই চৰকাৰেই তেতিয়া প্ৰধান আছিল) এই সন্ধি-পত্ৰত স্বাক্ষৰ কৰিবলৈ অস্বীকাৰ কৰিলে।

ইয়াৰ দুবছৰ পিছত যুক্তৰাষ্ট্ৰৰ ওৱাচিংটন চহৰত এখন সন্মিলন হ'ল, তাত চানটুঙৰ এই প্ৰশ্নটো আকৌ উত্থাপিত হ'ল। এই সন্মিলনখন হৈছিল সুদূৰ প্ৰাচ্যৰ সমস্যাৰ লগত পৃথিৱীৰ যিমান জাতিৰ স্বাৰ্থ জড়িত আছে তেওঁ-লোক সকলোকে লৈ; এওঁলোকৰ আলোচনাৰ বিষয় আছিল প্ৰত্যেকৰ নৌ-বাহি-নীৰ শক্তিৰ পৰিমাণ কিমান। ১৯২২ চনৰ এই ওৱাচিংটন সন্মিলনত চীন আৰু জাপান সম্পৰ্কে কিছুমান বৰ গুৰুত্বপূৰ্ণ ব্যৱস্থা কৰা হ'ল। জাপানে চানটুং প্ৰদেশ চীনক ওভোতাই দিবলৈ সন্মত হ'ল। বহুদিন ধৰি এই প্ৰশ্নটোৱে চীনক বৰ বিক্ষুব্ধ কৰি ৰাখিছিল—তাৰ যৱনিকা পৰিল। সন্মিলনত জাতি-সমূহৰ মাজত দুটা বৰ আৱশ্যকীয় চুক্তিও সম্পন্ন হ'ল।

ইয়াৰে এটাৰ নাম হ'ল 'চাৰি শক্তিৰ চুক্তি'—এই চুক্তি হৈছিল আমেৰিকা, গ্ৰেট বৃটেন, জাপান আৰু ফ্ৰান্সৰ মাজত। এই চাৰিটা শক্তিয়ে প্ৰশান্ত মহা-সাগৰত এওঁলোকৰ যাৰ য'ত সম্পত্তি আছে—পৰস্পৰে তেওঁলোকৰ সীমাৰ মৰ্য্যদা ৰক্ষা কৰি চলিব অৰ্থাৎ এওঁলোকে কাৰো অধিকাৰত হস্তক্ষেপ নকৰে বুলি আশ্বাস দিলে। আনটো চুক্তিৰ নাম হ'ল— 'ন-শক্তি সন্ধি' সন্মিলনত যি নটা জাতিয়ে যোগ দিছিল—তেওঁলোক সকলোৱে এই সন্ধিত আৱদ্ধ হ'ল; এই দেশসমূহৰ নাম হৈছে—আমেৰিকাৰ যুক্তৰাষ্ট্ৰ, বেলজিয়াম, বৃটেন, ফ্ৰান্স, ইটালী, জাপান, হলেণ্ড পৰ্ত্তুগাল, আৰু চীন। এই সন্ধিৰ প্ৰথম ধাৰাটোৱে আৰম্ভ হৈছে এইদৰে—

'চীনৰ সাৰ্বভৌম অধিকাৰ, স্বাধীনতা, আৰু দেশৰ সীমা আৰু শাসন ব্যৱ-স্থাত অক্ষুন্ন ক্ষমতাৰ মৰ্য্যদা ৰক্ষা কৰি চলা......'

এইটো দেখি বুজা যায় যে এই দুয়ো চুক্তিৰ উদ্দেশ্য আছিল ভৱিষ্যতে চীনৰ ওপৰত যাতে কোনেও জোৰ জুলুম নকৰে তাৰ ব্যৱস্থা কৰা। ইমানদিন ধৰি সকলো জাতিয়েই চীনৰপৰা পেচকচ আদায়, আনকি তেওঁলোকৰ মাটি দখল কৰিও লৈছিল। এই চাতুৰিৰ খেলা বন্ধ কৰি দিবলৈকে এই চুক্তি সম্পন্ন কৰা হৈছিল। নানাতৰহৰ যুদ্ধোত্তৰ সমস্যা লৈ তেতিয়া পাশ্চাত্য দেশসমূহ ব্যগ্র, গতিকে চীনৰ ওপৰত জুলুম চলাবলৈ তেওঁলোকৰ অৱসৰো নাই। জাপানেও এই প্ৰতিশ্ৰুতি স্বীকাৰ কৰি ল'লে, যদিও বহু বছৰ ধৰি তেওঁলোকে চীনৰ প্ৰতি যি নীতি অনুসৰণ কৰি আহিছিল ই তাৰ সম্পূৰ্ণ বিপৰীত। কেইবছৰমান পাৰ হওতে নৌহওঁতেই এইটো ফটফটীয়াকৈ ওলাই পৰিল যে সকলো চুক্তি প্ৰতিশ্ৰুতি দিয়া স্বত্বেও জাপানে তেওঁলোকৰ সেই পুৰণি নীতিকেই অনুসৰণ কৰি চলিছে। আৰু জাপানে এবাৰ চীনক আক্ৰমণো কৰিলে। আন্তৰ্জাতিক কূটনৈতিক ব্যৱস্থাত ভণ্ডামিৰ ই এটা অতিশয় নিৰ্লজ্জ উদাহৰণ। পৃথিৱীত কি ঘটিছে তাৰ পটভূমিৰ বিষয়ে তুমি যাতে বুজিব পাৰা তাৰ কাৰণেই তোমাক মই ওৱাচিংটন সন্মিলনৰ ইতিহাসলৈ লৈ আহিবলগীয়া হ'ল।

ওৱাচিংটনত যেতিয়া সন্মিলন হৈছিল ঠিক সেই সময়তে চাইবেৰিয়াৰপৰাও সকলো বিদেশী সৈন্য আঁতৰাই নিয়া শেষ হৈছিল। সকলোৰে শেষত গল জাপান। তৎক্ষণাৎ স্থানীয় চোভিয়েটসকল সন্মুখলৈ ওলাই আহিল আৰু ৰুচিয়াৰ প্ৰজাতন্ত্ৰৰ লগত যোগ দিলে।

প্ৰথমৰপৰা ৰুচিয়াৰ চোভিয়েটসকল আগবাঢ়ি আহি চীন চৰকাৰৰ লগত আলাপ-আলোচনা চলাইছিল ; তেওঁলোকে কৈছিল অন্যান্য সমাজবাদী দেশবোৰৰ দৰে চীনৰ ভিতৰত যিবোৰ বিশেষ অধিকাৰ জাৰ শাসিত ৰুচিয়াই দখল কৰি লৈছিল—এওঁলোকে সেইবোৰ এৰি দিব বিচাৰে। সাম্ৰাজ্যবাদ আৰু কমিউনিজিমৰ সাম্যবাদ কেতিয়াও একে লগ হব নোৱাৰে, তাৰ উপৰিও প্ৰাচ্যৰ সেই দেশবোৰে বহুদিন ধৰি পাশ্চাত্য জাতিসমূহৰ শাসন আৰু শোষণ সহ্য কৰি আহিছে; তেওঁলোকৰ প্ৰতি এটা উদাৰনীতি চোভিয়েটে ইচ্ছা কৰিয়েই গ্ৰহণ কৰিছিল। এইটো কেৱল সু-নীতিৰ কালৰপৰাই ভাল কাম নহয়—কূটনীতিৰ কালৰপৰাও ই সুবুদ্ধিৰ কাম ; কাৰণ ইয়াৰ ফলতেই প্ৰাচ্য জগতত চোভিয়েট ৰুচিয়াৰ বহুতো বন্ধু হৈ পৰিল। বিশেষ অধিকাৰ চোভিয়েটে এৰি দিব বিচাৰিছিল তাৰ কাৰণে তেওঁলোকে কোনো চৰ্ত আৰোপ নকৰিলে ; ইয়াৰ সলনি তেওঁলোকে একোকে দাবী নকৰিলে। কিন্তু তথাপিও চীন চৰকাৰে তেওঁলোকৰ লগত সম্বন্ধ স্থাপন কৰাত ক্ৰোধান্বিত হৈ পৰে। শেষত ৰুচিয়া আৰু চীনৰ প্ৰতিনিধিসকলৰ উভয়ে সাক্ষাৎ হৈ ১৯২৪ চনত কিছুমান সিদ্ধান্ত স্বীকাৰ কৰি ললে। এই চুক্তিৰ কথা শুনি ফ্ৰান্স, আমেৰিকা, আৰু জাপান চৰকাৰে পিকিং চৰকাৰক তেওঁলোকৰ প্ৰতিবাদ জনালে। পিকিং চৰকাৰে ইমান ইমান ভয় খালে যে এই চুক্তিপত্ৰত তেওঁলোকৰ প্ৰতিনিধিয়ে যে স্বাক্ষৰ কৰিছিল সেইটোকো তেওঁলোকে অস্বীকাৰ কৰিলে। বেচেৰা পিকিং চৰকাৰ ইমান দুৰৱস্থাত পৰিবলগীয়া হৈছিল। ৰুচিয়াৰ প্ৰতিনিধিয়ে তেতিয়া সেই চুক্তিপত্ৰৰ সকলো কথাকে বাতৰি কাকতত প্ৰচাৰ কৰি দিলে। তাকে লৈ এটা হুলস্থূলৰ সৃষ্টি হ'ল। সকলোৰে দেখিলে সেই চুক্তিপত্ৰত চীনৰ প্ৰতি অতি সন্মানপূৰ্ণ আৰু ভদ্ৰ ব্যৱহাৰ দেখুৱা হৈছে, তেওঁলোকৰ সকলো অধিকাৰ

স্বীকাৰ কৰি লোৱা হৈছে, ডাঙৰ শক্তিসমূহৰ লগত তেওঁলোকৰ ই প্ৰথম সমপৰ্যায়ৰ চুক্তি। চীনৰ প্ৰজাসকল উল্লাসিত হৈ পৰিল; বাধ্য হৈ তেতিয়া চৰকাৰেও চুক্তিপত্ৰত স্বাক্ষৰ কৰিবলৈ বাধ্য হ'ল। সম্ৰাজ্যবাদী জাতিসমূহ ইয়াত যে ক্ষুব্ধ হ'ব সেইটো স্বাভাৱিক কিয়নো, ইয়াৰদ্বাৰা তেওঁলোক বহুখিনি অসুবিধাত পৰিল। চোভিয়েট ৰুচিয়াই উদাৰ হাতেৰে সকলোকে দান কৰিছে আৰু তাৰ ওচৰে ওচৰে থিয় হৈ তেওঁলোকে তেওঁলোকৰ সকলো বিশেষ অধিকাৰ প্ৰাণপনে আজুৰি ৰাখিছে কোনোপধ্যেই এক তিলমানো এৰি দিবলৈ থিচৰা নাই।

দক্ষিণ চীনত চান-ইয়াৎ-চেনে যি চৰকাৰ প্ৰতিষ্ঠা কৰিছিল তাৰ ৰাজধানী আছিল কেণ্টন। তেওঁলোকৰ লগতো চোভিয়েট চৰকাৰে কথা-বাৰ্তা চলালে; এওঁলোকৰ মাজতো এটা বুজাপৰা হ'ল। এই কালচোৱাৰ বেছিভাগ সময়েই উত্তৰ আৰু দক্ষিণ চীনৰ ভিতৰত, আৰু উত্তৰ চীনৰ নানান সামৰিক অধিনায়কসকলৰ মাজত সাধাৰণ ধৰণে গৃহযুদ্ধ চলিছিল। উত্তৰ চীনৰ এই টুচুনসকলে বা মহাটুচুনসকলে (এওঁলোকৰ বহুতো এই নামেৰে পৰিচিত আছিল) কোনো নীতি বা কাৰ্যপন্থাৰ উদ্দেশ্যে যুদ্ধ কৰা নাছিল—এওঁলোকে যুদ্ধ কৰিছিল কেৱল নিজৰ ক্ষমতা বঢ়াবলৈ হে। এওঁলোকে পৰস্পৰে পৰস্পৰৰ ভিতৰত মিত্ৰতা স্থাপন কৰে, তাৰ পিছত আকৌ হঠাৎ দল এৰি বিপক্ষ দলৰ লগ লাগে—তাত গৈ আকৌ নতুন দল গঠন কৰে। এই ধৰণে সততে দল সালসলনি কৰাৰ কথা বাহিৰৰ লোকে ভালদৰে বুজিবই নোৱাৰিছিল। এই টুচুন বা যুদ্ধলোলুপা দস্যুসকলে তেওঁলোকৰ নিজস্ব সৈন্যবাহিনী গঠন কৰে; প্ৰজাৰ ওপৰত নিজৰ প্ৰয়োজন অনুসৰি কৰ বহুৱাই, নিজৰ কাৰণেই যুদ্ধ-বিগ্ৰহ কৰে, অথচ তাৰ কাৰণে সকলো বোজা বৰলগীয়া হয় চীনৰ নিৰীহ প্ৰজাসকলে। দীৰ্ঘকাল জুৰি এওঁলোকে কেৱল উৎপীড়নেই সহ্য কৰি আহিছে। শুনা যায় এই মহাটুচুনসকলৰ বহুতৰ পিছত আছিল হেনো বিদেশী জাতিবোৰ—বিশেষকৈ জাপান। চাংহাইত বিদেশীসকলৰ থিবোৰ ডাঙৰ ডাঙৰ ব্যৱসায়ী প্ৰতিষ্ঠান আছিল তাৰপৰাও এওঁলোকলৈ সহায় আৰু টকা-পইচা আহিছিল। গোটেই চীনৰ ভিতৰত এখন যাখোন ঠাই উজ্জল হৈ আছিল সেইখন হৈছে দক্ষিণ চীন, তাত ডাঃ চান-ইয়েৎ চেনৰ চৰকাৰ এটা স্থিৰ নীতি আছিল, উত্তৰ চীনৰ টুচুনসকলৰ বহুতেই শাসনৰ নামত যি অত্যাচাৰ চলাইছিল ই তেনে ধৰণৰ মুঠেই নাছিল। ১৯২৪ চনত প্ৰজাদলৰ 'কুওমিং টাঙৰ' প্ৰথম জাতীয় অধিৱেশন হ'ল—সেই অধিৱেশনত ডাক্তৰ চান ইয়েৎ চানে এখন ইস্তাহাৰ দাখিল কৰিলে। এই ইস্তাহাৰত তেওঁ থিবোৰ নীতি অনুসৰি এটি জাতিৰ জীৱন যাত্ৰাৰ পৰিচালিত কৰাৰ প্ৰয়োজন তাৰে এটি নীতিমালা দাঙি ধৰিলে। তেতিয়াৰপৰা আৰম্ভ কৰি এই ইস্তাহাৰ আৰু নীতিমালাই কুওমিংটাঙৰ মূল আদৰ্শ হৈ ৰ'ল। বহুতৰ মতে এতিয়াও চীনৰ জাতীয় চৰকাৰৰ সাধাৰণ কৰ্ম-নীতি এওঁলোকৰ অনুসৰিয়েই পৰিচালিত হৈছে।

১৯২৫ চনৰ মাৰ্চ মাহত ডাক্তৰ চান-ইয়েৎ-চানৰ মৃত্যু হয়। চীনৰ সেৱাৰ কাৰণে তেওঁ জীৱন উছৰ্গা কৰি গৈছে, চীনৰ অধিবাসীসকলে এতিয়াও তেওঁক ভাল পায়।

১৫৪

যুদ্ধৰ সময়ত ভাৰতবৰ্ষ

১৬ এপ্ৰিল, ১৯৩৩

ভাৰতবৰ্ষ বৃটিছ সাম্ৰাজ্যৰ এটি অংশ স্বৰূপে অৱশ্যে পোনপটীয়াভাৱেই বিশ্বযুদ্ধত সাঙোৰ খাই পৰিছিল। কিন্তু ভাৰতবৰ্ষৰ ভিতৰত বা কাষত কোনো যুদ্ধ হোৱা নাছিল। তথাপিও ভাৰতবৰ্ষৰ অগ্ৰগতিৰ ওপৰত যুদ্ধৰ প্ৰত্যক্ষ বা পৰোক্ষভাৱে নানা প্ৰকাৰেৰে প্ৰভাৱ পৰিছিল; ভাৰতবৰ্ষৰ জীৱন যাত্ৰাত বহুতো ডাঙৰ ডাঙৰ পৰিৱৰ্তন ঘটিছিল। মিত্ৰপক্ষৰ সাহায্য কৰাৰ কাৰণে ইয়াৰ সকলো সম্পদকেই যথাসম্ভৱ কামত লগোৱা হৈছিল।

ই ভাৰতবৰ্ষৰ যুদ্ধ নহয়। জাৰ্মাণ পক্ষৰ লগত ভাৰতবৰ্ষৰ কোনো অভি-যোগ নাছিল; আৰু তুৰস্কৰ কথা যদি ধৰা হয় সেই দেশৰ প্ৰতি ভাৰতবৰ্ষৰ অত্যন্ত সহানুভূতি আছিল। কিন্তু ভাৰতবৰ্ষ বৃটেনৰ অধীনত থকা দেশ মাত্ৰ। সেয়ে বাধ্য হৈ ভাৰতবৰ্ষই সাম্ৰাজ্যবাদী অধীশ্বৰীৰ পদসেৱা কৰিব লগা হয়। এতেকে দেশৰ জনসাধৰণৰ মনত প্ৰবল আপত্তি থকা স্বত্বেও ভাৰতীয় সৈন্য-বাহিনীয়ে তুৰ্কী, মিছৰবাসী, আৰু অনান্য জাতিবোৰৰ বিৰুদ্ধে ঠিয় হৈ যুদ্ধ কৰিবলৈ গ'ল; পশ্চিম এচিয়াৰ সকলোতে ভাৰতৰ নাম বৰ অপ্ৰিয় হৈ পৰিল।

আগৰ এখন চিঠিতো কৈছোঁ যুদ্ধ যেতিয়া আৰম্ভ হয় তেতিয়া ভাৰতৰ ৰাজনৈতিক চেতনাৰ সোঁতত ভাঁটা পৰিছিল, যুদ্ধ লগাৰ ফলত মানুহৰ মনোযোগ তাৰপৰা আৰু বেছি আঁতৰি গ'ল। যুদ্ধ উপলক্ষে বৃটিছ চৰকাৰে নানাবিধ নিষে-ধাজ্ঞা জাৰি কৰিছিল তাৰ ফলতো প্ৰকৃত ৰাজনৈতিক আন্দোলন চলোৱাটো কঠিন হৈ উঠিল। যুদ্ধৰ সময়ছোৱা শাসনত থকা কৰ্তৃপক্ষৰ কাৰণে সদায়েই সুবিধাৰ বতৰ। যুদ্ধৰ অজুহাত দেখুৱাই তেওঁলোকে আন সকলোকে নিষ্পেষিত কৰিব পাৰে—নিজৰ যি ইচ্ছা তাকে কৰি ফুৰিব পাৰে। স্বাধীন কাৰ্যকলাপৰ অনুমতি দিয়া হয়—মাথোন এটি ক্ষেত্ৰত—তেওঁলোকৰ নিজৰ বেলিকা। সংবাদ আৰু চিঠিপত্ৰৰ ওপৰত চেন্সৰৰ পহৰা লগোৱা হয় আৰু জোৰত সত্যক গোপন কৰা হয়। বহু সময়ত মিছা কথা প্ৰচাৰ কৰা হয়; আৰু সমালোচনাৰ পথ বন্ধ কৰা হয়। বিশেষ প্ৰকাৰৰ আইন আৰু অনুশাসনৰ সৃষ্টি কৰি জাতীয়তাবাদী সকলৰ প্ৰায় সকলো ধৰণৰ কাৰ্যকলাপকে নিয়ন্ত্ৰিত কৰি ৰখা হয়। প্ৰত্যেকখন যুদ্ধত যোগ দিয়া দেশতে এই কাম কৰা হৈছিল, স্বভাৱতে ভাৰতবৰ্ষতো হ'ল। ইয়াত এখন 'ভাৰত-ৰক্ষা আইন' তৈয়াৰ কৰা হ'ল। যুদ্ধ বা সেই সংক্ৰান্ত

কোনো কথাৰেই সমালোচনা যাতে জনসাধাৰণে কৰিব নোৱাৰে এই আইনৰ যোৰে ভালদৰে তাৰ কণ্ঠৰোধ কৰা হ'ল। তথাপিও কিন্তু মনে মনে এই দেশৰ প্ৰায় সকলো লোকেই জাৰ্মাণ পক্ষৰ আৰু তুৰস্কৰ প্ৰতি সহানুভূতিশীল আছিল; নতুবা এইদৰে কলেই হয়তো সঁচা কোৱা হব যে মনে মনে সকলোৱেই কামনা কৰিছিল বৃটেনে যাতে জাৰ্মাণৰপৰা এটি ভাল শিক্ষা পায়। যিসকলে নিজে ইমানদিন ভালেমান ঠেকা খাই আহিছে সেই অকৰসকলৰ পক্ষে এনে ধৰণৰ কামনা কৰা খুব স্বাভাৱিক। কিন্তু এই কামনা কোনেও বাহিৰত প্ৰকাশ নকৰিলে।

বহুতে ৰাজহুৱাভাৱে বৃটেনৰ প্ৰতি ৰাজভক্তি জনাই উচ্চস্বৰে চিঞৰি গগণ নিনাদিত কৰিলে। এই চিঞৰ-বাখৰ বেছিভাগ কৰিছিল দেশীয় ৰজাবোৰে আৰু অলপ উচ্চাৰিত হৈছিল—উচ্চ মধ্যবিত্ত শ্ৰেণীৰ কণ্ঠত—চৰকাৰৰ লগত যাৰ ঘনিষ্ঠ সম্বন্ধ। কিছু পৰিমাণে 'বুৰ্জ্জোৱা' সকলো এইকালে আকৃষ্ট হৈছিল—মিত্ৰপক্ষই গণতন্ত্ৰ স্বাধীনতা আৰু জাতিসমূহৰ মুক্তি ইত্যাদি লৈ যিবোৰ বৰ বৰ কথা আওৰাইছিল সেইবোৰ শুনি। এওঁলোকে ভৰসা কৰিছিল যে এইবোৰ আশ্বাসবাক্য এওঁলোকে হয়তো ভাৰতবৰ্ষক লক্ষ্য কৰি কৈছে; আশা কৰিছিল তেতিয়া যদি বৃটেনৰ সেই সংকট মুহূৰ্ত্তত ভাৰতবৰ্ষই তেওঁলোকক সহায় কৰে, তেনেহলে হয়তো পিছত এদিন বৃটেনেও ভাৰতবৰ্ষক যোগ্য প্ৰতিদান দিবলৈ কুণ্ঠিত নহব। সেইটো হওক বা নহওক নিজৰ ইচ্ছামতে কিবা এটা কৰিবলৈ তেতিয়া কোনো উপায় নাছিল—কাম চলাবৰ কাৰণে কোনো নিৰাপদ পন্থাও নাছিল। এতেকে এওঁলোকে ভাবিলে বেয়াৰ ভিতৰতে যি ভালখিনি পাওঁ সেয়ে লাভ। তেতিয়াৰ ভাৰতবৰ্ষত ৰাজভক্তিৰ এই বাহ্যিক প্ৰকাশত ইংলেণ্ডবাসী বৰ মুগ্ধ হৈছিল নানা প্ৰকাৰে তেওঁলোকে কৃতজ্ঞতাও প্ৰকাশ কৰিলে। ইংলেণ্ডত তেতিয়া যিসকল কৰ্ত্তৃত্বত আছিল তেওঁলোকেও কলে এইবাৰৰপৰা ইংলেণ্ডেও ভাৰতবৰ্ষৰ প্ৰতি 'এটি নতুন দৃষ্টি কোণেৰে' লক্ষ্য কৰিব।

কিন্তু ভাৰতবৰ্ষ আৰু বিদেশত তেতিয়া কিছুমান ভাৰতবাসী আছিল যিসকলে এই 'ৰাজভক্তি' প্ৰকাশ নকৰিলে। অধিকাংশ ভাৰতীয় লোকৰ দৰে মনে মনে বা নিষ্ক্ৰিয় হৈয়ো তেওঁলোক বহি নাথাকিল। তেওঁলোকৰ বিশ্বাস আছিল আয়াৰলেণ্ডৰ সেই পুৰণি নীতিটোৱেই সত্য, ইংলেণ্ড বিপদত পৰিলেই তেওঁলোকৰ দেশৰ সুযোগ। বিশেষকৈ জাৰ্ম্মাণী আৰু ইয়ুৰোপৰ অন্যান্য কেইখনমান দেশত কেইজনমান ভাৰতবাসী আছিল, এওঁলোকে বাৰ্লিনলৈ আহি একগোট হৈ ইংলেণ্ডৰ শত্ৰুপক্ষৰ সাহায্য কৰাৰ উপায় উদ্ভাৱনা কৰিবলৈ লাগি গ'ল, এটি কমিটিও ইয়াৰ কাৰণে স্থাপন কৰিলে। জাৰ্মাণ চৰকাৰে তেতিয়া স্বভাৱতেই সকলো প্ৰকাৰৰ সাহায্য দিবলৈ উদগ্ৰীৱ হৈ আছে, এই ভাৰতীয় বিপ্লৱীসকলক আগ্ৰহেৰে অভ্যৰ্থনা জনালে। জাৰ্মাণ চৰকাৰ আৰু ভাৰতীয় কমিটি এই দুয়ো পক্ষৰ মাজত ৰীতিমতে এখন চুক্তিপত্ৰ তৈয়াৰ হ'ল; দুয়ো তাত স্বাক্ষৰ কৰিলে। এই চুক্তি পত্ৰত বহুত কথাই আছিল। তাৰ মাজত এটা হৈছে ভাৰতীয় যুদ্ধত জাৰ্মাণ চৰকাৰক সাহায্য কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই চৰ্ত্তত যে যুদ্ধত যদি জাৰ্মাণীৰ জয় হয় তেন্তে জাৰ্মাণীয়ে ভাৰতবৰ্ষক স্বাধীন কৰি দিবলৈ যথাসাধ্য চেষ্টা কৰিব। ইয়াৰ পিছৰপৰা যিমান দিন যুদ্ধ চলিল তাৰ আদিৰপৰা অন্তলৈকে

গোটেই সময়খিনিত এই ভাৰতীয় কমিটিয়ে জাৰ্মাণৰ পক্ষে কাম কৰি গ'ল। ভাৰতৰপৰা যিবোৰ ভাৰতীয় সৈন্যক বিদেশলৈ পঠোৱা হৈছিল তেওঁলোকৰ মাজত এওঁলোকে প্ৰচাৰ কাৰ্য চলাবলৈ ধৰিলে। একালে একেবাৰে আফগানিস্থানলৈ আৰু ভাৰতৰ উত্তৰ-পশ্চম সীমান্তলৈকে এওঁলোকৰ কাৰ্যকলাপ বিয়পি পৰিছিল। কিন্তু ইয়াৰদ্বাৰা কেৱল বৃটেনক বহখিনি উদ্বিগ্ন কৰি তোলাৰ বাহিৰে আৰু বেছি একো এওঁলোকে কৰিব নোৱাৰিলে। সমুদ্ৰ পথেদি ভাৰতলৈ অস্ত্ৰ-শস্ত্ৰ পঠোৱাৰ এটি চেষ্টাও এওঁলোকে কৰিছিল কিন্তু এই চেষ্টা ইংৰাজসকলে ব্যৰ্থ কৰি দিলে। শেষত এই যুদ্ধত জাৰ্মাণ হাৰিল লগে লগে এই কমিটি আৰু সকলো আশা-ভৰসাও লগে লগে শেষ হৈ গ'ল।

ভাৰতবৰ্ষৰ ভিতৰতো বিপ্লৱীসকলৰ কাৰ্য-কলাপ কিছুপৰিমাণে প্ৰকাশ পালে; স্পেচিয়েল ট্ৰিবিউনেল গঠন কৰি বহুতো ষড়যন্ত্ৰ মোকৰ্দমাৰ বিচাৰ হ'ল, বহু-লোকক মৃত্যুদণ্ড দিয়া হ'ল, বহুলোকক দীঘলীয়া কাৰাদণ্ড দিয়া হ'ল। সেই সময়ত যিসকলক কাৰাদণ্ড দিয়া হৈছিল তেওঁলোকৰ বহুতো আজিও জেলত আছে এই ওঠৰ বছৰৰ পিছতো।

যুদ্ধ যিমান আগবাঢ়ি যাব ধৰিলে আন আন দেশৰ দৰে এই দেশতো অলপ কেইজনমান লোকে বিৰাট লাভ কৰি লবলৈ ধৰিলে; কিন্তু বেছি ভাগ লোকৰ দুৰ্দশা ক্ৰমে বাঢ়িবলৈ ধৰিলে। জনসাধৰণৰ মনত অসন্তোসৰ মাত্ৰাও বাঢ়ি গ'ল। যুদ্ধলৈ যাবৰ কাৰণে লাহে লাহে আৰু বেছিলোকৰ দৰকাৰ হ'ব ধৰিলে, সৈন্য বাহিনীত যোগ দিবৰ কাৰণে মানুহ সংগ্ৰহ কৰাৰ তৎপৰতা ক্ৰমে খুব বাঢ়ি গ'ল। সৈন্য সংগ্ৰহ কৰি যি সকলে দিব তেও লোকক বিমান দূৰ সম্ভৱ লোভ আৰু পুৰস্কাৰৰ আশা দেখুৱাবলৈ ধৰিলে, জমিদাৰসকলৰ ওপৰত আদেশ জাৰি হ'ল তেওঁলোকৰ প্ৰত্যেকেই নিজৰ প্ৰজাসকলৰ ভিতৰৰপৰা এটি নিৰ্দিষ্ট সংখ্যক সৈন্য জোগাৰ কৰি দিব লাগিব। সৈন্যদল আৰু সামৰিক শ্ৰমিক দলৰ কাৰণে মানুহ সংগ্ৰহ কৰিবৰ কাৰণে এইবোৰ জোৰ জুলুমৰ ব্যৱস্থা বিশেষকৈ প্ৰয়োগ কৰা হ'ল পঞ্জাবত। সৈন্য আৰু শ্ৰমিক বাহিনীৰূপে ভাৰতবৰ্ষৰপৰা বিভিন্ন ৰণ ক্ষেত্ৰলৈ যিমান মানুহে পঠোৱা হৈছিল তাৰ মুঠ সংখ্যা দহ লাখৰো ওপৰ। এই ভাৱেবে যিসকলক যুদ্ধৰ কামত ভৰ্তি কৰি লোৱা হ'ল তেওঁলোকক ইয়াত ইমান অসন্তুষ্ট হ'ল যে বহুতে কয় যুদ্ধৰ পিছত পঞ্জাবত যি বিশৃংখলাই দেখা দিছিল ইয়েই তাৰ অন্যতম কাৰণ।

আৰু এটি দিশৰপৰা পঞ্জাবে ক্ষতি সহ্য কৰিব লগা হ'ল। বহুতো পঞ্জাবী, বিশেষকৈ বহুতো শিখে পঞ্জাৱ এৰি যুক্তৰাষ্ট্ৰৰ কালিফৰ্নিয়াত আৰু পশ্চিমত কানাডাৰ অন্তৰ্গত থকা বৃটিছ কলম্বিয়ালৈ গুচি গৈছিল। ইয়াৰ পৰা ক্ৰমে তালৈ মানুহ যাবলৈ ধৰিলে। শেষত আমেৰিকা আৰু কানাডাৰ কৰ্তৃপক্ষই এওঁলোকক যোৱা বন্ধ কৰি দিলে। এই পমুৱা সকলক বাধা দিবৰ কাৰণে কানাডা চৰকাৰে আইন প্ৰনয়ন কৰিলে, যিসকলে বাটত জাহাজ সলনি নকৰি একেবাৰে এই দেশৰ বন্দৰৰ পৰা কানাডাৰ বন্দৰত উঠিবগৈ কেৱল তেওঁলোককহে কানাডাত সোমাব দিয়া হব। এই আইনৰ উদ্দেশ্য আছিল কেৱল ভাৰতীয় পমুৱাসকলক সেই দেশলৈ যাব নিদিয়াটো, চীন বা জাপানত জাহাজ সলনি নকৰাকৈ এওঁবিলাকৰ কানাডাৰ

প্ৰবেশ কৰাৰ পথ নাছিল। সেই কাৰণে বাবা গুৰুদিত্ত সিংহ নামৰ এজন শিখে এখন জাহাজকেই ভাৰা কৰি ললে—তাৰ নাম আছিল 'কোমা গাতা মাৰু'। সেই জাহাজেৰে, এদল পঞ্জাবীৰে তেওঁ কলিকতাৰপৰা গোনে গোনে গৈ ভাঙ্কুভাৰ বন্দৰত হাজিৰ হ'লগৈ। কানাডাৰ আইনক তেওঁ এইদৰে কল্লি কৰি সাৰি গ'ল। তেতিয়াও কিন্তু কানাডাৰ চৰকাৰে তেওঁক দেশত সোমাবলৈ দিব মান্তি নহল; এই জাহাজৰ কোনো আৰোহীকে তেওঁলোকে তাত নামিবলৈ নিদিলে। সেই জাহাজেৰেই তেওঁলোক উভতি আহিব লগীয়া হ'ল। একেবাৰে সৰ্বস্বান্ত আৰু অতি ক্ৰোধান্বিত হৈ এওঁলোক ভাৰতলৈ উভতি আহিল। কলিকতাৰ ওচৰত বজবজৰ পুলিচৰ লগত এওঁবিলাকৰ এখনি সৰুসুৰা যুদ্ধ হ'ল সেই যুদ্ধত বহুতো লোক মৰাও পৰিল—বিশেষকৈ শিখসকলৰ পক্ষৰ। ইয়াৰ পিছতো আকৌ এই শিখসকলৰ বহুতকে পুলিচে সকলোতে অনুসৰণ কৰি ফুৰিবলৈ ধৰিলে। পঞ্জাবৰ ভিতৰতো সকলোতে বিচাৰি বিচাৰি এওঁলোকক গ্ৰেপ্তাৰ কৰা হ'ল। এই মানুহবোৰে পঞ্জাবত জনসাধাৰণৰ মাজত বিদ্বেষ আৰু অসন্তোষ প্ৰচাৰ কৰি ফুৰিলে 'কোমা গাতো মাৰু' সংক্ৰান্ত গোটেই ঘটনাটিয়েই ভাৰতৰ সকলো লোকৰ ভয়ৰ কাৰণ হৈ উঠিল।

সেই যুদ্ধৰ দিনত ক'ত কি ঘটিছিল তাৰ সকলো বিৱৰণ জনা বৰ কঠিন, কাৰণ 'চেন্সৰ'ৰ হেচাত তেতিয়া বহু ধৰণৰ বাতৰিয়ে প্ৰকাশ হ'ব পৰা নাছিল, সেয়ে মানুহৰ মুখে মুখে নানা ধৰণৰ আচৰিত আচৰিত উৰাবাতৰি প্ৰচাৰ হ'ব ধৰিলে। অৱশ্যে এইটো জনা গৈছে চিঙ্গাপুৰত এটি ভাৰতীয় ৰেজিমেণ্টৰ মাজত এটা বেছ ডাঙৰ বিদ্ৰোহ সংঘটিত হৈছিল, আন আন বহু ঠাইতো সৰু সৰু ধৰণৰ এনে বিদ্ৰোহে দেখা দিছিল।

যুদ্ধৰ কাৰণে সৈন্যৰ যোগান ধৰা আৰু অন্যান্য ধৰণে সাহায্য দিয়াটোতো আছিলেই ইয়াৰ উপৰিও নগদ টকা দিবলৈও ভাৰতবৰ্ষক বাধ্য কৰা হ'ল। ইয়াৰ নাম দিয়া হৈছিল 'ভাৰতবৰ্ষৰ দান'। এবাৰ এইভাৱে দহকোটি পাউণ্ড দিয়া হ'ল; আৰু এবাৰ আৰু এটা বিৰাট পৰিমাণৰ টকা দিয়া হ'ল। দৰিদ্ৰ দেশৰপৰা এনে ধৰণে জোৰ কৰি টকা আদায় কৰি নি তাক আকৌ 'দান' আখ্যা দি প্ৰচাৰ কৰা কথাই বৃটিছ চৰকাৰৰ ৰসবোধৰ পৰিচয় দিয়ে।

এতিয়ালৈকে যি কৈছোঁ সেই সকলোবোৰ হৈছে যুদ্ধৰ সৰু ফলাফলৰ কথা অৰ্থাত ভাৰতবৰ্ষৰ কালৰপৰা। কিন্তু যুদ্ধ কালৰ পৰিস্থিতিৰ ফলত এটি বিৰাট মৌলিক পৰিবৰ্তন আহি পৰিছিল। যুদ্ধৰ সময়ত আন আন দেশৰ দৰে ভাৰতবৰ্ষৰো বৈদেশিক বাণিজ্য একেবাৰে ওলট-পালট হৈ গৈছিল। বৃটেনৰপৰা ভাৰতবৰ্ষলৈ যি বিপুল পৰিমাণৰ মালপত্ৰ আহিছিল তাৰ বেছি ভাগ অহাই বন্ধ হৈ গ'ল। ভূমধ্যসাগৰ আৰু আটলাণ্টিক মহাসাগৰত জাৰ্মাণ চাবমেৰিণবিলাকে সকলো জাহাজকে ডুবাই ফুৰিছে, সেই অৱস্থাত ব্যৱসায় বাণিজ্য চলোৱা নাযায়। এতেকে বাধ্য হৈ ভাৰতবৰ্ষই নিজৰ ব্যৱস্থা নিজে কৰিবলগীয়া হ'ল; তেওঁলোকৰ যিবোৰ বস্তুৰ দৰকাৰ নিজেই সেইবোৰ তৈয়াৰ কৰি লবলগীয়াত পৰিল। আকৌ যুদ্ধৰ কাৰণত দৰকাৰ হোৱা এনে বহুত বস্তু তৈয়াৰ কৰি চৰকাৰকো যোগান দিব লগীয়া হ'ল। ইয়াৰ ফলত ভাৰতবৰ্ষত নানা জাতৰ শিল্প অতি ক্ষিপ্ৰতাৰে

বাঢ়ি আহিল। কাপোৰৰ কল, মৰাপাটৰ কল, আদি পুৰণি শিল্প আৰু যুদ্ধ কালৰ বহুতো নতুন শিল্প দুয়োটাই। টাটাৰ লোহা আৰু ইস্পাতৰ কাৰখানা-টোক চৰকাৰে ইমান দিনে অৱজ্ঞাৰ চকুৰেই চাই আহিছিল—এইবাৰ সেইটোৰ খাতিৰ বৰ বেছি ৰকমেৰে বাঢ়ি গ'ল যিহেতু ইয়াৰ যুদ্ধৰ সৰঞ্জাম তৈয়াৰ কৰাৰ ক্ষমতা আছে। এতিয়া কম বেছি পৰিমাণে চৰকাৰী তত্ত্বাৱধানতেই সেই কাৰখানাটি চলিবলৈ ধৰিলে।

এতেকে দেখা যায় যুদ্ধৰ বছৰ কেইটাত ভাৰতবৰ্ষৰ পুঁজিপতি বৃটিছ বা ভাৰতীয় সকলোৱেই ডাঙৰ সুযোগ পাইছিল, বিদেশৰ পৰা প্ৰতিদ্বন্দ্বিতাৰ ভয়ো তেওঁলোকৰ বিশেষ নাছিল। এই সুযোগৰ তেওঁলোকে সম্পূৰ্ণ সদব্যৱহাৰ কৰিলে, প্ৰচুৰ টকা লাভ কৰি ললে। অৱশ্যে সেই টকা যোগাব লগা হ'ল এই দেশৰ দৰিদ্ৰ জনসাধাৰণেই। বস্তুৰ দাম বৰকৈ বঢ়াই দিয়া হ'ল—সকলো ব্যৱসায়ৰ অংশীদাৰ সকলৰ লাভাংশ ইমান বেছি হাৰে দিয়া হ'ল যে শুনিলে বিশ্বাস নহয়। কিন্তু যি সকলৰ পৰিশ্ৰমৰ ই লাভাংশ আৰু লাভৰ সৃষ্টি সেই শ্ৰমিকসকলৰ দুৰ্দশা যি আছিল ঠিক তেনেধৰনেৰেই থাকি গ'ল। তেওঁলোকৰ মাহিলী দৰমহা অৱশ্যে অলপ বাঢ়িল, কিন্তু দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য বাঢ়িল বহুতো বেছি এতেকে তেওঁলোকৰ অৱস্থা বাস্তৱ ক্ষেত্ৰত আগতকৈ আৰু বেয়াহে হৈ পৰিল।

পুঁজিপতিসকলৰ কিন্তু সমৃদ্ধিৰ আৰু সীমা নাথাকিল। তেওঁলোকৰ হাতত প্ৰচুৰ পৰিমাণৰ লাভ জমা হৈ পৰিল—সেই জমা হোৱা ধন তেওঁলোকে ব্যৱসায়ত খটাবলৈ বিচাৰিলে। তেতিয়া তেওঁলোকৰ শক্তি বাঢ়িছে, চৰকাৰৰ ওপৰতো হেঁচা দিব ধৰিলে। ভাৰতবৰ্ষত এনে ঘটনা এয়ে প্ৰথম। এওঁলোকৰ হেঁচাৰ উপৰিও অৱশ্যে কেৱল ঘটনা প্ৰবাহৰ হেঁচাতো যুদ্ধৰ সময়ত বৃটিছ চৰকাৰে ভাৰতীয় শিল্পক সাহায্য কৰিব লগীয়া হৈছিল। দেশত শিল্প প্ৰতিষ্ঠান আৰু বঢ়োৱা হব এই কাৰণে বাহিৰৰপৰা আৰু বেছি যন্ত্ৰপাতি আমদানি হব ধৰিলে; তেতিয়ালৈকে সেইবোৰ যন্ত্ৰপাতি ভাৰতবৰ্ষত তৈয়াৰ কৰাৰ ব্যৱস্থা নাছিল। এতেকে দেখা গ'ল যে ইংলেণ্ডৰপৰা ভাৰতবৰ্ষলৈ এতিয়া কলত তৈয়াৰ হোৱা পণ্য দ্ৰব্যৰ সলনি বেছিকৈ যন্ত্ৰপাতিহে আহিবলৈ ধৰিছে।

এইবোৰ ঘটনাৰ ফলত ভাৰতবৰ্ষত বৃটিছসকলৰ নীতিৰো বহুখিনি পৰিৱৰ্তন হ'ল। ইয়াৰ আগতে এশবছৰ ধৰি যি নীতি তেওঁলোকে চলাইছিল সেইটো ত্যাগ কৰি এতিয়া তেওঁলোকে নতুন এটা নীতিৰ প্ৰৱৰ্তন কৰিলে।

বৃটিছ সাম্ৰাজ্যবাদে অৱস্থাৰ সলনিৰ লগে লগে নিজক সেই ব্যৱস্থাত খাপ খুৱাই ললে আৰু নিজৰ ৰূপো সম্পূৰ্ণ পৰিৱৰ্তন কৰিলে। ভাৰতত বৃটিছ শাসনৰ প্ৰথম যুগ কি ধৰণৰ আছিল তোমাক কৈছোঁ। তোমাৰ হয়তো সেই কথা মনত আছে। প্ৰথমে আছিল অষ্টাদশ শতাব্দীৰ যুগ—তেতিয়া তেওঁলোকে কেৱল লুটপাট্ কৰিছিল আৰু নগদ টকা লৈছিল। তাৰ পিছত আহিল দ্বিতীয় অধ্যায়। বৃটিছ ৰাজত্ব তেতিয়া এই দেশত প্ৰতিষ্ঠিত হৈছে যি যুগ প্ৰৱৰ্তি থাকিল এশ বছৰতো অধিক কাল—একেবাৰে মহাযুদ্ধৰ সময়লৈকে। এই সময়ৰ নীতি আছিল ভাৰতবৰ্ষক কেৱল এটা কেচামাল যোগান ধৰা, ক্ষেত্ৰ আৰু বৃটেনৰ উৎপন্ন পণ্যদ্ৰব্য বিক্ৰী কৰা বজাৰলৈ পৰিণত কৰি ৰখা। এই দেশত কোনো ডাঙৰ

ধৰণৰ কল কাৰখানা বহুৱাৰ চেষ্টাক সকলো প্ৰকাৰে বাধা দিয়া হৈছিল। ভাৰতবৰ্ষৰ অৰ্থনৈতিক প্ৰগতিৰ পথো ৰুদ্ধ কৰি ৰখা হৈছিল। এইবাৰ এই যুদ্ধৰ সময়ত আহিল তাৰ তৃতীয় যুগ—ভাৰতবৰ্ষত ডাঙৰ ডাঙৰ কল কাৰখানা বহুৱাৰ চেষ্টাক বৃটিছ চৰকাৰে উৎসাহ আৰু সাহায্য দিবলৈ ধৰিলে, বৃটেনৰ উৎপাদিত শিল্পৰ স্বাৰ্থত ই কিছু অনিষ্ট কৰিব—তথাপিও। লাঙ্কাছায়াৰৰ কাপোৰ সকলোতকৈ বেছি বিক্ৰী হৈছিল ভাৰতবৰ্ষত। এতেকে ভাৰতবৰ্ষত যদি কাপোৰৰ কল বঢ়োৱা হয় তেন্তে সেই পৰিমাণে লাঙ্কাছায়াৰৰ ব্যৱসায়ৰ ক্ষতি হব—এই কথা সহজে বুজা যায়। যদি সেয়ে হয় তেন্তে লাঙ্কাছায়াৰ আৰু বৃটেনৰ আন আন শিল্পৰ স্বাৰ্থ হানি স্বীকাৰ কৰি লৈয়ো বৃটিছ চৰকাৰে তেওঁলোকৰ নীতিৰ এই পৰিবৰ্ত্তন সাধন কৰিলে কিয়? কৰিলে যুদ্ধৰ খাতিৰত—নানান ঘটনাৰ হেঁচাত পৰি কৰিবলৈ বাধ্য হৈছিল বুলি। এই পৰিবৰ্ত্তন কিয় কৰা হ'ল তাৰ সকলো কাৰণ মই তোমাক বিশ্লেষণ কৰি বুজাই দিছোঁ।

(১) যুদ্ধৰ সময়ত বহুতো বস্তুৰ প্ৰয়োজন বাঢ়িছে, এতেকে সেই প্ৰয়োজন পূৰাবলৈ স্বভাৱতেই এই দেশত কল-কাৰখানা প্ৰতিষ্ঠাও বহুতো বাঢ়ি গৈছে।

(২) ইয়াৰ ফলত ভাৰতবৰ্ষৰ পুঁজিপতিসকলৰ সংখ্যা আৰু শক্তি বাঢ়িছে, এতেকে তেতিয়া আৰু বেছি কল-কাৰখানা বহুৱাৰ সুবিধা আদায় কৰি লব বিচাৰিছে, যাতে এইভাৱে তেওঁলোক বঞ্চিত লাভৰ টকাখিনি তেওঁলোকে আকৌ খটুৱাব পাৰে। এওঁলোকৰ কথা সম্পূৰ্ণ অগ্ৰাহ্য কৰাৰ সাহস তেতিয়া বৃটেনৰ নাছিল, সেইটো কৰিব গলে হয়তো এওঁলোকে চৰকাৰৰ ওপৰত অসন্তুষ্ট হব আৰু দেশত যি সকল উগ্ৰপন্থী আৰু বিপ্লৱপন্থী প্ৰতিষ্ঠান আছে তেওঁলোকৰ দলত গৈ যোগ দিব। কিয়নো তেওঁলোকৰো তেতিয়া ক্ৰমে শক্তি বাঢ়ি আহিছিল। এতেকে বৃটিছ চৰকাৰে দেখিলে যদি সম্ভৱ হয় তেন্তে ব্যৱসায় বাণিজ্য বঢ়োৱাৰ অলপ অচৰপ সুবিধা দিও এওঁলোকক নিজৰ পক্ষত টানি ৰখাই যুক্তিসঙ্গত।

(৩) ইংলেণ্ডৰ পুঁজিপতিসকলৰ হাতত যি লাভৰ টকা জমা হৈ আছে সেই টকাকো তেওঁলোকে আকৌ খটুৱাব বিচাৰে। যি দেশৰ নিজা কল-কাৰখানা বিশেষ নাই এনে ধৰণৰ দেশলৈ যোৱাৰ সুযোগ তেওঁলোকে বিচাৰিছে কাৰণ তালৈ গলেই লাভ বেছি হব। ইংলেণ্ড শিল্প বাণিজ্যত অতি উন্নত দেশ তাত টকা খটুৱাই বিশেষ সুবিধাৰ আশা নাই। লাভৰ হাৰ তাত কমিব; তদুপৰি শ্ৰমিক আন্দোলনো সুপ্ৰতিষ্ঠিত হৈ উঠিছে। শ্ৰমিকসকলক লৈ প্ৰায় অসুবিধাত পৰিবলগীয়া হৈছে। অনুন্নত দেশত শ্ৰমিকসকলৰ স্বাস্থ্য দুৰ্বল, এতেকে তাত মজুৰি কম দি কাম কৰিব পাৰি, লাভো বেছি হয়। স্বভাৱতে বৃটিছ পুঁজিপতিসকলে বৃটেনত টকা নখটুৱাই বৰং বৃটেনৰ তলতীয়া কোনো অনুন্নত দেশত গৈ টকা খটুৱাতো বেছি পছন্দ কৰে। ভাৰতবৰ্ষ ঠিক তেনে এখন দেশ। এতেকে বৃটেনৰপৰা বহু মূলধন ভাৰতলৈ আহিল; আৰু তাৰ ফলতেই এই দেশত আৰু বেছি কল-কাৰখানা স্থাপিত হ'ল।

(৪) যুদ্ধৰ অভিজ্ঞতাৰপৰা এইটো দেখা গৈছিল যে শিল্প ক্ষেত্ৰত যিবোৰ দেশ বহুদূৰ আগবাঢ়ি গৈছিল সেইবোৰ দেশৰেই প্ৰকৃততে যুদ্ধ চলোৱাৰ শক্তি হাতত থাকে। যুদ্ধত জাৰৰ শাসনত থকা ৰুচিয়াৰ শেষত পৰাজয় হৈছিল, তাৰ কাৰণ

কচিয়াত শিল্প ব্যৱস্থা ভাল নাছিল—তেওঁলোকৰ যুদ্ধ কৰিবলগীয়া হৈছিল আন আন দেশৰ ওপৰত নির্ভৰ কৰি। ইংলেণ্ডৰ ভয় হ'ল ইয়াৰ পিছতো হয়তো তেওঁলোকে যুদ্ধ কৰিবলগীয়া হব চোভিয়েট কচিয়াৰ লগত, ভাৰতৰ সীমান্তত থকা দেশত। ভাৰতবর্ষত যদি তেওঁলোকৰ নিজস্ব কল-কাৰখানা নাথাকে তেতিয়া বৃটিছ চৰকাৰে ভাৰত সীমান্তত ঠিকমতে যুদ্ধ চলাবই নোৱাৰিব। সেইটো বৰ বিপদৰ কথা। এতেকে তাৰ কাৰণেও ভাৰতবর্ষত কল-কাৰখানা বঢ়াব লাগিব।

এইবোৰ কাৰণতেই বাধ্য হৈ বৃটেনে তেওঁলোকৰ নীতি পৰিবর্তন কৰিবলগীয়া হ'ল, বৃটিছ চৰকাৰে স্থিৰ কৰিলে যে ভাৰতবর্ষত শিল্প প্রতিষ্ঠা বঢ়াব লাগিব। বৃটিছ চৰকাৰৰ বৃহত্তৰ প্রয়োজনৰ কাৰণেই এইটো কৰাৰ দৰকাৰ হ'ল ; সেই কাৰণে যদিও লাঙ্কাছায়াৰ বা বৃটেনৰ আৰু দুই চাৰিটা শিল্পৰ কিছু পৰিমাণে ক্ষতি হয়—সেই ক্ষতিৰ কাৰণে তেওঁলোক প্রস্তুত হ'ল। অৱশ্যে বাহিৰত বৃটেনে প্রচাৰ কৰিলে যে এই পৰিবর্তন কৰা হ'ল বৃটিছ চৰকাৰে ভাৰতবর্ষক বৰ বেছি ভাল পায় কাৰণে, সম্পূর্ণ তেওঁলোকৰ মঙ্গলৰ কাৰণেই। নীতিৰ এই পৰিবর্তন যেতিয়া কৰা হব বুলি স্থিৰ হ'ল তাৰ পিছতে অৱশ্যে বৃটেনে এনে ধৰণৰ ব্যৱস্থা কৰি ললে যাতে ভাৰতবর্ষৰ এইবোৰ নতুন শিল্পৰ প্রকৃত নিয়ন্ত্রণ ক্ষমতা বৃটিছ পুঁজিপতিসকলৰ হাততেই থাকে। ভাৰতীয় পুঁজিপতিসকলক কেৱল এই ব্যৱসায়ত অতি সামান্য অংশীদাৰ ৰূপে লোৱা হ'ল।

যুদ্ধৰ সময়ত ১৯১৬ চনত এটি ভাৰতীয় শিল্প কমিচন বহুৱা হ'ল। দুবছৰৰ পিছত এওঁলোকে প্রতিবেদন দাখিল কৰিলে, আৰু তাত কোৱা হ'ল যে শিল্প প্রতিষ্ঠাৰ ক্ষেত্রত চৰকাৰেই সকলোকে সাহায্য কৰিব লাগিব আৰু কৃষি ক্ষেত্রতো আধুনিক শিল্পৰ ব্যৱস্থাৰ ব্যৱহাৰৰ প্রৱর্তন কৰিব লাগিব। তাৰ উপৰিও কোৱা হ'ল দেশত সকলোৰে মাজত প্রাথমিক শিক্ষা প্রচাৰৰ চেষ্টা কৰাৰ দৰকাৰ। কর্মপটু বনুৱা যাতে পোৱা সম্ভৱ হয় ইয়াৰ কাৰণেই এওঁলোকে জনসাধাৰণৰ মাজত প্রাথমিক শিক্ষা প্রচাৰৰ প্রয়োজন বোধ কৰিছিল, ইংলেণ্ডতো কল-কাৰখানা প্রতিষ্ঠাৰ প্রথম যুগত এই ব্যৱস্থা অৱলম্বন কৰা হৈছিল।

যুদ্ধৰ পিছত এই কমিচনৰ পিচে পিচে আৰু বহুতো কমিচন আৰু কমিটি বহুৱা হ'ল। এই কথাও কোৱা হ'ল যে বিদেশী পন্যৰ ওপৰত শুল্ক বহুৱাই ভাৰতীয় শিল্পক ৰক্ষা কৰিব লাগিব। এই শুল্কৰ নাম হ'ল ৰক্ষাশুল্ক। ভাৰতীয় শিল্পৰ পক্ষে এই সকলো কথাকে এটা বিৰাট ব্যয়ৰ সূচনা বুলি বিবেচনা কৰিলে।

বাস্তৱিকতে ই তেনে কথাই আছিল—অন্ততঃ কিছুপৰিমাণে। কিন্তু অলপ ভাল কৈ বিশ্লেষণ কৰিলে দেখা যাব যে ইয়াৰ মাজত বহুতো মজাৰ ফাকি আছিল। চৰকাৰৰ পক্ষৰপৰা কোৱা হৈছিল—বিদেশৰ পৰা যাতে ভাৰতবর্ষলৈ মূলধন আহিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। বিদেশ মানে আচলতে বৃটেনকে বুজোৱা হৈছিল। বৃটিছ মূলধন হো-হোৱাই ভাৰতলৈ আহিল। কেৱল যে বহুপৰিমাণে আহিল সেয়ে নহয়, বজাৰ একেবাৰে দখল কৰি বহিল। ডাঙৰ ডাঙৰ কাৰখানা যিবোৰ হ'ল তাৰ প্রায় সকলোবোৰেই চলিল বৃটিছ মূলধনৰ জোৰত। এতেকে ভাৰতবর্ষত ৰক্ষাশুল্ক আৰু ৰক্ষাকৱচৰ অর্থ হ'লগৈ এইদেশত বৃটিছ মূলধনৰ স্বার্থৰক্ষা। ভাৰতবর্ষত বৃটিছ নীতি[illegible]ৰি বিৰাট পৰি-

ৱৰ্ত্তন কৰা হৈছিল, দেখা গ'ল শেষত তাৰ ফল বৃটিছ পুঁজিপতিসকলৰ পক্ষে বিশেষ একো বেয়া নহ'ল। বৰং তেওঁলোকে এটা নিৰাপদে সংৰক্ষিত বজাৰ হাতত পাইছে; তাত তেওঁলোকে আগৰ ব্যৱসায়-বাণিজ্য বহলাব পাৰিব; বনুৱাসকলক নিচেই কম মজুৰিত খটুৱাই প্ৰচুৰ লাভ কৰিব পাৰিব। আৰু একালৰপৰা এওঁলোকৰ সুবিধা হ'ল। ভাৰতবৰ্ষ, চীন আৰু মিচৰ আদি দেশত আছি তেওঁলোকে তেওঁলোকৰ মূলধন খটুৱাব ধৰিলে। তাৰ পিছত ইংলেণ্ডলৈ গৈও ইংলেণ্ডৰ বনুৱাসকলক ধমক দিলে যে তেওঁলোকৰো মজুৰি কমাই দিব। তেওঁলোকক ক'লে—ভাৰতবৰ্ষ, চীন আদি দেশৰ মজুৰিৰ হাৰ ইমান কম। সেই কাৰণে পন্যৰ দামো কম; এতিয়া ইংলেণ্ডত মজুৰিৰ হাৰ কমাব নোৱাৰিলেতো এইবোৰ দেশৰ পন্যৰ দামো কমাব পৰা নেযাব। তাৰ পিছতো যেতিয়া ইংৰাজ বনুৱাসকলে মজুৰি কমাবলৈ আপত্তি কৰিলে, পুঁজিপতিসকলে তেওঁলোকক ক'লে, তেনেহলে আৰু কি কৰিব, অতিদুখেৰে সৈতে তেওঁলোকে ইংলেণ্ডৰ কল-কাৰখানা বন্ধ কৰি দিব, লাগিব আৰু সেই মূলধন নি আন কোনো ঠাইত খটুৱা-বগৈ লাগিব। ভাৰতবৰ্ষৰ শিল্প-প্ৰতিষ্ঠানসমূহ নিজৰ আয়ত্বত ৰাখিবৰ বাবে আৰু বহুতো ব্যৱস্থা ভাৰতৰ বৃটিছ চৰকাৰে কৰিলে। এইটো এটা বৰ জটিল বিষয়—ইয়াৰ আলোচনাও মই কৰিব নিবিচাৰোঁ। ইয়াৰ বিশেষ বিশ্লেষণ আমাৰ দৰকাৰো নাই। কিন্তু এটা কথা মই কওঁ। আধুনিক শিল্পৰ জীৱনত বেঙ্কৰ বৰ ডাঙৰ প্ৰভাৱ, কাৰণ ডাঙৰ ডাঙৰ ব্যৱসায় চলাবলৈ গলে প্ৰায়েই মূলধন ধাৰ কৰিবৰ প্ৰয়োজন হয়। এই ধাৰ নাপালে অতি ডাঙৰ ব্যৱসায়ো হঠাৎ ভাঙি পৰিব পাৰে। এই ধাৰ দিয়ে বেঙ্কে—এতেকে বুজিব পাৰিছাই তেওঁলোকৰ ক্ষমতা কিমান? ব্যৱসায়ৰ জীৱন-মৰণ তেওঁলোকৰ হাততেই। যুদ্ধ শেষ হোৱাৰ অলপ দিনৰ পিছতে বৃটিছ চৰকাৰে দেশৰ সমগ্ৰ বেঙ্ক সম্বন্ধীয় প্ৰথাটি নিজৰ আয়-ত্বলৈ আনিলে। এইভাৱে আৰু মুদ্ৰা-নীতিৰ চাতুৰীৰে ভাৰত চৰকাৰে ভাৰতবৰ্ষৰ শিল্প আৰু কল-কাৰখানাবোৰৰ ওপৰত বহুখিনি কৰ্ত্তৃত্ব ক্ষমতা নিজৰ হাতত কৰি ললে। তদুপৰি ভাৰতৰ বজাৰত বৃটিছ পন্য আৰু বেছি প্ৰচলন কৰাৰ কাৰণে তেওঁলোকে 'সাম্ৰাজ্যজাত সা-সুবিধা' বা বৃটিছ সাম্ৰাজ্যত বস্তুৰ ওপ-ৰত বাণিজ্য শুল্কৰ কথাত অধিক সা-সুবিধা দানৰ নীতিৰ প্ৰৱৰ্ত্তন কৰিলে। ইয়াৰ অৰ্থ হ'ল—'ৰক্ষাশুল্ক' স্বৰূপে যদি বিদেশী পন্যৰ ওপৰত কৰ বহুৱা হয় তেন্তে তাত বৃটিছ পন্যৰ ওপৰত কিছু হাৰত কৰ বহুৱা হব বা একেবাৰে কৰ বহুৱা নহব, যাতে আন আন দেশবোৰৰ তুলনাত বৃটিছৰ পন্য দ্ৰব্যই ইয়াত অলপ বেছি সুবিধা পায়।

যুদ্ধৰ সময়ত ভাৰতৰ পুঁজিপতি শ্ৰেণীৰ আৰু বুৰ্জোৱাবোৰৰ শক্তি ক্ৰমে বাঢ়ি উঠিছিল। সেই শক্তিয়ে ৰাজনৈতিক আন্দোলনৰ মাজতো আত্ম প্ৰকাশ কৰিবলৈ ধৰিলে। যুদ্ধৰ আগতে আৰু প্ৰথম ভাগত ৰাজনৈতিক আন্দোলন শান্ত হৈ আছিল। কিন্তু সেই শান্ত অৱস্থা লাহে লাহে শেষ হ'ল—স্বায়ত্তশাসন আৰু আৰু তেনে ধৰণৰ নানান দাবীৰ আউৰি উঠিল। দীৰ্ঘকাল ব্যাপি কাৰাবাস ভোগী লোকমান্য তিলক মুক্ত হৈ আহিল। তোমাক আগতে কৈছিলোঁ। জাতীয় কংগ্ৰেছ তেতিয়া নৰম পন্থীসকলৰ হাতত। ই এটি সৰু অনুষ্ঠান তাৰ প্ৰভাৱ প্ৰতিপত্তি বিশেষ একোৱেই নাছিল। জনসাধাৰণৰ লগতো কোনো যোগাযোগ নাই।

ৰাজনীতি ক্ষেত্ৰত যিসকল আগৰণুৱা আছিল তেওঁলোক কংগ্ৰেছৰ অন্তৰ্ভুক্ত নাছিল। তেওঁলোকে প্ৰতিষ্ঠা কৰিলে 'হোমৰুল লীগ'। এই ধৰণৰ দুটি লীগ প্ৰতিষ্ঠিত হল। এটি প্ৰতিষ্ঠা কৰিলে লোকমান্য তিলকে, আনটি কৰিলে মিচেচ এনী বেচাণ্টে। কিছু বছৰ ধৰি মিচেচ বেচাণ্টে ভাৰতৰ ৰাজনীতি ক্ষেত্ৰত এটি বিশিষ্ট স্থান অধিকাৰ কৰিছিল; তেওঁৰ অপূৰ্ব বাগ্মীতা আৰু অতি তীক্ষ্ণ যুক্তি-তৰ্কই এই দেশৰ মানুহৰ মনত ৰাজনৈতিক চেতনা পুনৰ জগায় তুলিছিল। তেওঁৰ বক্তৃতা আদিক চৰকাৰে ইমান বিপজ্জনক বুলি বিবেচনা কৰিছিল যে তেওঁক অন্তৰীণ পৰ্যন্ত কৰি ৰখা হৈছিল। তেওঁৰ আৰু দুজন সহকৰ্মীৰ লগত তেওঁ কেইমাহ মান অন্তৰীণ হব লগীয়াত পৰিছিল। কলিকতাৰ কংগ্ৰেছৰ এখন অধিৱেশনত তেওঁ সভানেত্ৰীত্বও কৰিছিল। কংগ্ৰেছৰ তেৱেঁই প্ৰথম মহিলা সভানেত্ৰী। কিছু বছৰৰ পিছত কংগ্ৰেছৰ দ্বিতীয়া মহিলা সভানেত্ৰী হয় শ্ৰীমতী সৰোজিনী নাইডু।

কংগ্ৰেছৰ ভিতৰত তেতিয়া দুটি দল নৰম পন্থী। ১৯১৬ চনত এওঁলোকৰ মাজত এটি আপোচ হ'ল—১৯১৬ চনৰ ডিচেম্বৰ মাহত লক্ষ্ণৌত কংগ্ৰেছৰ অধি-ৱেশন হ'ল তাত দুয়ো দলেই উপস্থিত হ'ল। সেই আপোচ কিন্তু বেছি দিন নিটি-কিল। দুবছৰ ভিতৰতে এওঁলোকৰ ভিতৰত আকৌ মনোমালিন্য হ'ল। নৰম-পন্থী সকল কংগ্ৰেছৰপৰা বাহিৰ হৈ ওলাই গ'ল—তেতিয়াৰপৰা তেওঁলোক কংগ্ৰেছৰ বাহিৰতে থাকিল। এতিয়া এওঁলোকে নাম ললে উদাৰপন্থী।

১৯১৬ চনৰ লক্ষ্ণৌ অধিবেশনৰ পৰাই জাতীয় কংগ্ৰেছৰ পূৰ্ণজীৱন আৰম্ভ হ'ল। তেতিয়াৰপৰাই ই ক্ৰমে অধিক শক্তি আৰু প্ৰতিপত্তি অৰ্জন কৰিব ধৰিলে; ইয়াৰ ইতিহাসত সেয়ে প্ৰথম। ই প্ৰকৃতভাৱে বুৰ্জোৱা বা মধ্যবিত্ত শ্ৰেণীৰ এটি প্ৰতিষ্ঠান হৈ উঠিল। জনসাধাৰণ বুলিলে যি বুজা যায় তেওঁলোকৰ লগত অৱশ্যে বিশেষ সংশ্ৰৱ নাছিল। তেওঁলোকেও ইয়াক লৈ বেঁচি মুৰ নঘমাইছিল; কিন্তু সেই সংশ্ৰৱ স্থাপন কৰিলে গান্ধীজী আহি। এতেকে তেতিয়া তথাকথিত নৰম পন্থী আৰু চৰম পন্থী দুয়োটি দলেই কম বেছি পৰিমাণে একেটি মাত্ৰ শ্ৰেণীৰ মানুহ লৈ গঠিত হৈছিল, সেইটো হৈছে বুৰ্জোৱা শ্ৰেণী।

মুষ্টিমেয় কেইজনমান আধ্যৱন্ত লোক যি সকল চৰকাৰী চাকৰিয়ালসকলৰ তেনেই ওচৰে ওচৰে আছিল, এনে ধৰণৰ লোক সকলেই সাধাৰণতে নৰম পন্থী লোক সকলৰ দলত যোগ দিছিল; মধ্যবিত্ত শ্ৰেণীৰ অধিক সংখ্যক লোকৰ আৰু তেওঁলোকৰ দলৰে বহুতো নিবনুৱা বুদ্ধিজীৱি লোকৰ সমৰ্থন আছিল চৰমপন্থী সকলৰ ফালে। এই বুদ্ধিজীৱী সকল (এই কথাৰে মই কেৱল বুজাইছোঁ কম বেছি পৰিমাণে শিক্ষিত লোকসকলক) নিজৰ সংকল্পত দৃঢ় হৈ ৰ'ল; বিপ্লৱীসকলৰ দলতো এওঁলোকৰ মাজৰপৰাই বহুতো লোক গৈ যোগদান কৰিলে। নৰম-পন্থী আৰু চৰম পন্থীসকলৰ উদ্দেশ্য বা আদৰ্শৰ মাজত বিশেষ কোনো পাৰ্থক্য নাছিল। দুয়ো দলেই বৃটিছ সাম্ৰাজ্যৰ তলত থাকি স্বায়ত্ত শাসনৰ কথাকে কৈছিল, দুয়ো দলেই তেতিয়াৰ কাৰণে সেই স্বায়ত্ত শাসনৰ কিছু অংশ পালেই সন্তুষ্ট থাকিবলৈ ৰাজী আছিল। অৱশ্যে নৰমপন্থী সকলতকৈ চৰমপন্থীসকলে অলপ বেছি অধিকাৰ বিচাৰিছিল আৰু অলপ বেছি কঠোৰ ভাষা প্ৰয়োগ কৰিছিল। বিপ্লৱীসকলৰ সংখ্যাত মুষ্টিমেয়। তেওঁলোকে অৱশ্যে সম্পূৰ্ণ স্বাধীনতাই কামনা কৰিছিল—

কিন্তু কংগ্ৰেছৰ নেতাসকলৰ ওপৰত তেওঁলোকৰ কোনো প্ৰভাৱ নাছিল। নৰম-পন্থী আৰু চৰমপন্থীসকলৰ মাজত প্ৰধান প্ৰভেদ আছিল এয়ে। নৰমপন্থীসকল 'অভাৱ নথকা' সকল আৰু তেওঁলোকৰ কাষে কাষে বিচৰণ কৰা সকলেৰে গঠিত সঙ্গতিসম্পন্ন দল; আৰু চৰমপন্থী সকলৰ দলত 'অভাৱগ্ৰস্ত' শ্ৰেণীৰ লোক কিছুমান আছিল। তদুপৰি চৰমপন্থীৰ দল বুলিয়েই স্বভাৱতে এই দলত দেশৰ ডেকা চামে আহি যোগ দিছিল। তেওঁলোকৰ বেছি ভাগৰে ধাৰণা আছিল কামতকৈ বেছি গৰম গৰম কথা অলপ কৰ পাৰিলেই দায়িত্ব শেষ হ'ল। অৱশ্যে এই সাধাৰণ মন্তব্যটি কোনো পক্ষৰে প্ৰত্যেক জন লোকৰ প্ৰতি প্ৰযোজ্য নহয়। তাৰ প্ৰমাণ স্বয়ং গোপাল কৃষ্ণ গোখলে, নৰমপন্থীসকলৰ এজন অতি দক্ষ আৰু আত্মত্যাগী নেতা আছিল তেওঁ কিন্তু তেনে ধনী নাছিল। তেৱেঁই ভাৰত সেৱক সমিতিৰ (Servants of India society) প্ৰতিষ্ঠা কৰে। কিন্তু আচলতে 'অভাৱগ্ৰস্ত' শ্ৰেণীৰ যি সকল, সেই শ্ৰমিক আৰু কৃষকসকলৰ লগত নৰমপন্থী বা চৰমপন্থী কোনো দলৰেই সম্পৰ্ক নাছিল। তিলক নিজে অৱশ্যে জনসাধাৰণৰ মাজত বৰ প্ৰিয় আছিল।

১৯১৬ চনৰ লক্ষ্ণৌ কংগ্ৰেছ আৰু এটি পুণৰ্মিলনৰ কাৰণে প্ৰসিদ্ধ হৈ আছে, সেইটো হৈছে হিন্দু-মুছলমানৰ মিলন। কংগ্ৰেছে চিৰদিন সকলো জাতিৰ ভেঁটি অৱলম্বন কৰি আহিছে; কিন্তু তথাপি ই আচলতে আছিল হিন্দুসকলৰ প্ৰতিষ্ঠান কাৰণ ইয়াৰ সকলো সভ্যই আছিল হিন্দু। যুদ্ধৰ কেইবছৰমান আগতে, চৰকাৰৰ পৰা অলপ প্ৰেৰণা পায়েই মুছলমান বুদ্ধিজীৱিসকলে নিজৰ এটি স্বতন্ত্ৰ প্ৰতিষ্ঠান থিয় কৰাইছিল, ইয়াৰ নাম 'অলইণ্ডিয়া মুছলিম লীগ'। ইয়াৰ উদ্দেশ্য আছিল মুছলমানসকলক কংগ্ৰেছৰপৰা আঁতৰাই ৰখা। অলপ দিনৰ ভিতৰতে কিন্তু মুছলিম লীগ কংগ্ৰেছৰ ফালে আকৃষ্ট হ'ল। ভাৰতৰ ভৱিষ্যত শাসন ব্যৱস্থা কি, হব, সেই বিষয়ে লক্ষ্ণৌ কংগ্ৰেছত এই দুই প্ৰতিষ্ঠানৰ ভিতৰত এটা বুজাপৰা হৈ গ'ল। এই চুক্তিটিৰ নাম আছিল কংগ্ৰেছ লীগ পৰিকল্পনা; ইয়াত আৰু বহু কথাৰ ভিতৰত সংখ্যালঘু মুছলমানৰ কাৰণে কি অনুপাতে আসন সংৰক্ষিত কৰি ৰখা হব তাৰো হিচাপ স্থিৰ কৰি দিয়া হৈছে। এই কংগ্ৰেছ লীগ পৰিকল্পনা তেতিয়া দুয়োটি প্ৰতিষ্ঠানৰ কৰ্মসূচীত পৰিণত হ'ল। সমগ্ৰ দেশৰ দাবী ইয়াৰ মাজত প্ৰকাশ হৈছে বুলি সকলোৱে স্বীকাৰ কৰিলে। এই পৰিকল্পনাত বুৰ্জোৱাসকলৰ অভিমতহে ব্যক্ত হৈছিল, কাৰণ সেই সময়ত দেশত একামাত্ৰ তেওঁলোকেই ৰাজনীতিৰ কথাত সচেতন। এই পৰিকল্পনাক আশ্ৰয় কৰি দেশত আন্দোলন বাঢ়ি উঠিল।

মুছলমানসকল যে ৰাজনীতিৰ কথাত বেছি সচেতন হৈ উঠিল আৰু কংগ্ৰেছৰ লগত আহি যোগ দিলেহি—তাৰ প্ৰধান কাৰণ আছিল তেওঁলোকৰ ক্ষোভ—তুৰস্কৰ লগত বৃটেনে যুদ্ধ কৰিছে দেখি তেওঁলোক ক্ৰোধান্বিত হৈ উঠিল। তুৰস্কৰ প্ৰতি সহানুভূতি পোষণ কৰা আৰু সেই কথা উচ্চস্বৰে প্ৰকাশ কৰাৰ অপৰাধত যুদ্ধৰ প্ৰথম ভাগতে দুজন মুছলমান নেতাক অন্তৰীণ কৰি ৰখা হৈছিল—এওঁলোক হৈছে মৌলনা মহম্মদ আলি আৰু মৌলনা চৌকত আলি। আৰব দেশবিলাকৰ লগত তেওঁৰ সম্পৰ্ক আছিল বুলি। মৌলানা আবুল কালাম আজাদক অন্তৰীণ কৰা হৈছিল, তেওঁৰ ৰচনাৱলীৰ কাৰণে সেই দেশত তেওঁ বৰ জনপ্ৰিয়

আছিল। এই সকলো কথাৰে মুছলমানসকল অতিশয় ক্ৰোধান্বিত আৰু বিৰক্ত হ'ল-ক্ৰমে বেছিকৈ চৰকাৰৰ বিৰোধী হৈ উঠিল।

ভাৰতবৰ্ষত স্বায়ত্ব শাসনৰ দাবী বাঢ়ি অহাৰ লগে লগে বৃটিছ চৰকাৰেও নানা ৰকমৰ ভৰসা আৰু প্ৰতিশ্ৰুতি দিব ধৰিলে; এই দেশত নানা ধৰণৰ তত্ত্বৰ সন্ধান কৰিব ধৰিলে আৰু তাৰ জৰিয়তে মানুহৰ মনোযোগ আকৃষ্ট কৰি ৰাখিলে। ১৯১৮ চনৰ গ্ৰীষ্ম কালত ভাৰত সচিব আৰু বৰলাট দুয়োজনে মিলি এটি বুটীয়া ৰিপৰ্ট দাখিল কৰিলে, এওঁলোক দুজনৰ মতে সেই ৰিপৰ্টৰ নাম হল মণ্টেগু চেমস্‌ফোৰ্ড ৰিপৰ্ট। এই ৰিপৰ্টত ভাৰতৰ শাসন ব্যৱস্থাৰ কিছুদূৰ পৰিবৰ্তন আৰু সংস্কাৰ সম্বন্ধে কিছুমান প্ৰস্তাব এওঁলোকে দাঙি ধৰিলে। ইয়াৰ লগে লগে এই পৰীক্ষামূলক প্ৰস্তাববিলাকলৈ দেশৰ মাজত এটি বিৰাট তৰ্কাতৰ্কি আৰম্ভ হ'ল। কংগ্ৰেছে এইবিলাকৰ সম্বন্ধে অতিশয় আপত্তি প্ৰকাশ কৰিলে; ফলে যে ইয়াত একেবাৰেই দিয়া হোৱা নাই। উদাৰপন্থীসকলে এইবোৰ সাগ্ৰহে স্বীকাৰ কৰি ললে আৰু ইয়াকে উপলক্ষ্য কৰি তেওঁলোক কংগ্ৰেছৰপৰা ফালৰি কাটি গ'ল।

ভাৰতৰ এনে এটি অৱস্থাতে যুদ্ধ শেষ হল। সকলোতে মানুহৰ মনত এটি অভাৱনীয় আশাৰ সঞ্চাৰ হ'ল, এইবাৰ কিজানি কি পৰিবৰ্তন হয়। দেশৰ ৰাজ-নৈতিক বা-বতাহ গৰম হৈ উঠিল, নৰমপন্থীসকলে যি শান্ত কোমল আৰু মিঠা মাতেৰে কথা কয়—তাত যথেষ্ট বিনয় সন্নিবিষ্ট থাকে আৰু ফল একেবাৰেই নহয়—সেই ভাষা লোপ হৈ তাৰ ঠাইত ধ্বনিত হল চৰমপন্থীসকলৰ ভীষণ চিঞৰ, সংগ্ৰামাত্মক আৰু আত্মপ্ৰত্যয়ৰে ভৰা ভাষা। নৰমপন্থী আৰু চৰমপন্থী দুয়ো দলেই ৰাষ্ট্ৰনীতিৰ পুথিৰ ভাষাত চিন্তা কৰিব ধৰিলে, কথা কব ধৰিলে, শাসন ব্যৱস্থাৰ বাহিৰৰ ৰূপ কি হ'ব তাৰ বিশ্লেষণত মগ্ন হ'ল আৰু পিছত থাকি সাম্ৰাজ্য-বাদী বৃটেনে নিঃশব্দে এই দেশৰ অৰ্থনৈতিক জীৱনৰ ওপৰত তেওঁলোকৰ মুঠিৰ বান্ধ আৰু দৃঢ়তৰ কৰি তুলিব ধৰিলে।

১৫৫

ইয়ুৰোপৰ নতুন মানচিত্ৰ

২১ এপ্ৰিল ১৯৩৩

যুদ্ধৰ গতি চমুকৈ আলোচনা কৰাৰ পিছতে আমি ৰুচিয়াৰ বিপ্লৱৰ কথা দেখিলোঁ, তাৰ পিছত আকৌ যুদ্ধ শেষ হোৱাৰ পিছত ভাৰতবৰ্ষৰ অৱস্থা কি দেখিলো। এইবাৰ আকৌ উভতি যাব লাগিব যুদ্ধ বিৰতিলৈ—চাব লাগিব যুদ্ধ শেষ হোৱাৰ পিছত বিজেতা পক্ষই কি ধৰণৰ আচৰণ কৰিলে। জাৰ্মাণৰ অৱস্থা তেতিয়া শোচনীয়। কাইজাৰ পলাই গৈছে, দেশত প্ৰজাতন্ত্ৰ স্থাপন হৈছে। তথাপি জাৰ্মাণ সৈন্যৰ যাতে আৰু তিলমানো শক্তিৰ অৱশিষ্ট নাথাকে তাৰ কাৰণে যুদ্ধ বিৰতিৰ সন্ধিপত্ৰত বহুতো অতি কঠিন চৰ্ত্ত দিয়া হ'ল। কোৱা হ'ল যে জাৰ্মাণ সৈন্য আগুৱাই আহি যিমান ঠাই অধিকাৰ কৰিছিল অকল সেই বিলাকেই নহয়—আলচেচ লোৰেইন আৰু ৰাইন নদীলৈকে জাৰ্মাণৰ অন্তৰ্গত থকা এলেকা তেওঁলোকে এৰি দি গুচি যাব লাগিব। ৰাইনলেণ্ড মানে কলোনৰ ওচৰে পাজৰে থকা অঞ্চলটি মিত্ৰপক্ষৰ দখলত থাকিব। ইয়াৰ উপৰিও জাৰ্মাণৰ যুদ্ধ জাহাজ সকলোবোৰ 'ইউবট' (জাৰ্মাণৰ চাবমেৰিণবোৰক এই নামেৰে অভিহিত কৰা হৈছিল) আৰু হাজাৰ হাজাৰ কামান, উৰাজাহাজ, ৰেলৰ ইঞ্জিন, মটৰ গাৰী আৰু বহুতো বস্তু-বাহানি মিত্ৰপক্ষৰ হাতত সমৰ্পণ কৰিব লাগিব।

ফ্ৰান্সৰ উত্তৰ অঞ্চলত কোপিয়ৰ (Compiegne) হাবিত যি ঠাইত বাহ যুদ্ধ বিৰতিৰ পত্ৰ স্বাক্ষৰ কৰা হৈছিল, তাত এতিয়া এটি স্মৃতিস্তম্ভ আছে। তাৰ গাত এই কথাটি লিখা আছে "এই ঠাইত ১৯১৮ চনৰ ১১ নৱেম্বৰ তাৰিখে সাম্ৰাজ্যৰ অন্যায় অধিকাৰ ধূলিসাৎ হৈ গৈছিল, যিসকলক তেওঁলোকে দাসত্বৰ শিকলিৰে আবদ্ধ কৰিব বিচাৰিছিল, সেই স্বাধীন জাতিসমূহৰ হাততেই তেওঁলোকৰ পৰাজয় ঘটিল।"

জাৰ্মাণ সাম্ৰাজ্য অৱশ্যে আৰু নাই—অন্ততঃ বাহিৰৰপৰা যি অনুভৱ কৰা যায়। প্ৰুচিয়াৰ সামৰিক ঔদ্ধত্যও খৰ্ব হৈছে। ইয়াৰো আগতে ৰুচ সাম্ৰাজ্যৰ অৱসান ঘটিছিল, ৰোমানফ ৰাজবংশ ৰঙ্গমঞ্চৰপৰা বিদায় গ্ৰহণ কৰিছিল—সেই ৰঙ্গমঞ্চত তেওঁলোকে বহুকাল জুৰি অসৎ লীলা দেখুৱাইছিল। যুদ্ধৰ ফলত আৰু এটি সাম্ৰাজ্যৰ আৰু এটি প্ৰাচীণ ৰাজবংশৰ পতন হ'ল—সেইটো হৈছে অষ্ট্ৰীয়া হাঙ্গেৰীত হাপ্সবুৰ্গ বংশৰ সাম্ৰাজ্য। কিন্তু তেতিয়াও বহুতো সাম্ৰাজ্য বাচি থাকিল—সেইবোৰ হৈছে বিজেতাসকলৰ সাম্ৰাজ্য। যুদ্ধত জয়লাভ কৰিছে বুলি তেওঁলোকৰ অহংকাৰ অকণো নকমিল। যিবোৰ জাতিক তেওঁলোকে

দাস স্বৰূপে ৰাখিছে, তেওঁলোকৰ নায্য অধিকাৰ সম্বন্ধে তেওঁলোক অলপো সচেতন নহ'ল ।

১৯১৯ চনত পেৰিচ চহৰত বিজয়ী মিত্রপক্ষই তেওঁলোকৰ শান্তি সন্মিলন বহুৱালে। পেৰিচত বহিয়েই তেওঁলোকে সমগ্র পৃথিৱীৰ ভৱিষ্যত ৰূপৰেখা ৰচনা কৰিব, কেইবা মাহ ধৰি এই প্রসিদ্ধ নগৰখনৰ ফালে গোটেই পৃথিৱীৰ মানুহৰ দৃষ্টি নিহিত হৈ থাকিল। পৃথিৱীৰ সকলো দেশৰপৰা বহুতো লোক তাত গৈ উপস্থিত হ'ল। ৰাষ্ট্রনীতিবিদ আৰু ৰাজনৈতিক নেতাসকলতো আছিলেই-তেতিয়া তেওঁলোকে নিজকে ভব্য গব্য বুলি ভাবিছিল। আৰু আছিল যিমান কূটনীতি বিশাৰদ, বিশেষজ্ঞ সমৰ বিশাৰদ, মহাজন আৰু লাভৰ আশাকাৰী দল; এওঁলোকৰ সকলোৰে লগত অসংখ্য সহকাৰী, টাইপিষ্ট আৰু কেৰাণী। তাৰ উপৰিও বাতৰি-কাকতৰ প্রতিনিধিৰ এটি বিৰাট দল যে তাত থাকিবই সেইটোতো জনা কথাই। স্বাধীনতাৰ কাৰণে সংগ্রাম কৰা কিবোৰ জাতি তেওঁলোকো আছিল। আইৰিচ মিছৰ, আৰৱ আৰু যে কত দেশ সেই সকলোবোৰৰ নাম ইয়াৰ আগতে কোনেও কাহানিও শুনা নাছিল। আছিল পূৰ্ব ইয়ুৰোপৰ লোকসকল। অষ্ট্রীয়া আৰু তুৰস্কৰ ধ্বংসপ্রাপ্ত সাম্রাজ্যৰপৰা এওঁলোকে নিজৰ কিছুমান পৃথক ৰাজ্য কাটি নিব বিচাৰে। ইয়াৰ বাহিৰেও দুঃসাহসী ভাগ্যান্বেষীও কম অহা নাছিল। গোটেই পৃথিৱীখনকে কাটিকুটি নতুন কৰি ইয়াত ভাগ কৰা হৈছে, এনে সময়ত আঁতৰত থাকি শগুণবোৰে এই সুযোগ নষ্ট কৰিব কিয় ?

শান্তি সন্মিলনত কি হ'ব, সেই সম্বন্ধে বহুতৰ মনত নানা ধৰণৰ আশা জন্মিল। জনসাধাৰণে ভাবিলে, যুদ্ধৰ এনে এটি ভয়াবহ অভিজ্ঞতাৰ পিছত এইবাৰ নিশ্চয় এটি ন্যায়সঙ্গত আৰু দীৰ্ঘ স্থায়ী সন্ধিৰ ব্যৱস্থা কৰা হব। নিদাৰুণ দুখ-কষ্টৰ বোজা তেতিয়াও জনসাধাৰণৰ মূৰৰ ওপৰত বৰ্তমান, শ্রমিকসকলৰ মনত এটি বিৰাট অসন্তোষৰ ভাব। দৈনন্দিন জীৱনৰ প্রয়োজনীয় বস্তুৰ দাম অতিশয় বাঢ়ি গৈছে, তাৰ ফলত মানুহৰ দুৰ্দশা আৰু বাঢ়িছে। সমাজ বিপ্লৱ ঘটিবলৈ আৰু বেছি সময় নাই। ১৯১৯ চনৰ ইয়ুৰোপত এনে ধৰণৰ বহুতো আভাস পোৱা গৈছিল। মনত ধাৰণা হৈছিল যে ৰুচিয়াৰ উদাহৰণে বহুতৰ মনকে বিচলিত কৰি তুলিছে।

এনে পটভূমিত শান্তি সন্মিলনৰ বৈঠক বহিল ভাৰ্চাইলচ্ চহৰত ঠিক সেই ঘৰটিতে য'ত আঠচল্লিছ বছৰৰ আগতে জাৰ্মাণ সাম্রাজ্যৰ প্রতিষ্ঠা ঘোষণা কৰা হৈছিল। সেই বিৰাট অধিবেশনখন দিনৰ পিছত দিন ধৰি পতাটো সহজ কথা নহয়, সেই কাৰণে তাত সৰু সৰু কমিটী স্থাপন কৰা হ'ল, এই কমিটীবোৰ গোপন বৈঠক বহিল, এওঁলোকৰ ভিতৰত সকলো কুটিল চাতুৰী আৰু মনো মালিন্যাক বুদ্ধিমানৰ দৰে আঁৰকাপোৰেৰে ঢাকি ৰখা হ'ল। এই গোটেই সন্মিলনখন নিয়ন্ত্রণ কৰিছিল মিত্রপক্ষৰ দেশবিলাকেৰে গঠিত এটি দহজনীয়া সমিতিয়ে। ইয়াৰ সভ্য সংখ্যা কমি হল পাঁচজন। এওঁলোকৰ নাম হল 'শ্রেষ্ঠপঞ্চক' যুক্তৰাষ্ট্র, বৃটেন, ফ্রান্স, ইটালী আৰু জাপান। তাৰ পিছত জাপান ইয়াৰপৰা সৰি পৰিল; বাকী ৰ'ল এটি চাৰিজনীয়া সভাৰ সংঘ। শেষত গৈ 'ত্রিমূৰ্তি' স্বৰূপে আমেৰিকা, বৃটেন আৰু ফ্রান্স। এই তিনি দেশৰ প্রতিনিধিত্ব কৰিছিল প্রেছিডেণ্ট উইলচন, লয়েড জৰ্জ আৰু ক্লেমেনচুই। গোটেই পৃথিৱীক নতুন সাঁচত গঢ়াৰ অৰ্থে ইয়াৰ

ভয়াবহ ঘূনীয়া দেহাক পুনৰ নিৰাময় কৰাৰ গধুৰ দায়িত্ব পৰিল এই তিনিজনৰ ওপৰত। এই দায়িত্ব পালনৰ যোগ্যতা আছে কেৱল অতিমানৱ বা অৰ্দ্ধদেৱতাৰহে। কিন্তু এওঁলোক তিনিজন তেনে কোনো ধৰণৰ লোক নাছিল। ৰজা, ৰাষ্ট্ৰনীতিবিদ সেনাপতি আদি যিসকল লোকে অধিকাৰৰ আসনত থাকে, ৰাতৰি কাকত আৰু অন্যান্য মাধ্যমেৰে তেওঁলোকৰ নাম ইমান প্ৰচাৰ কৰা হয় আৰু ইমান আড়ম্বৰেৰে ঘোষণা কৰা হয় যে সেইবোৰ দেখি শুনি সাধাৰণ মানুহৰ মনতে ধাৰণা হয় এওঁলোক চিন্তা আৰু কাৰ্যৰ ক্ষেত্ৰত একো একোজন মহামানৱ বিশেষ। এটি স্বৰ্গীয় জ্যোতিয়ে যেন এওঁলোকক আৱৰি প্ৰকাশ পায় আমি অজ্ঞ, মনে মনে এনে কিছুমান গুণৰ অধিকাৰী বুলি এওঁলোকক কল্পনা কৰি লওঁ—যিবোৰ আচলতে এওঁলোকৰ মাজত একেবাৰেই নাই। কিন্তু অলপ ওচৰলৈ গৈ ভালদৰে চালে দেখিবা এওঁ অতি সাধাৰণ মানুহতকৈ বেছি একোৱেই নহয়। অষ্ট্ৰীয়াৰ এজন বিখ্যাত ৰাষ্ট্ৰনীতিবিদে এবাৰ কৈছিল—পৃথিৱীৰ মানুহ বিস্ময়ত স্তম্ভিত হৈ যাব যদি তেওঁলোকে জানিব পাৰে কিমান কম বুদ্ধিৰে তেওঁলোকক শাসন কৰা হয়। এই বৰনূৰীয়া তিনিজনক খুব ডাঙৰ লোক বুলি মনতে ধাৰণা হয়—এওঁলোকৰ দৃষ্টি আছিল আচৰিত ধৰণে সংকীৰ্ণ, আন্তৰ্জাতিক কাণ্ড কাৰখানা সম্বন্ধেও এওঁলোক আছিল সম্পূৰ্ণ মূৰ্খ, পৃথিৱীৰ ভূগোলো আনকি এওঁলোকে ভালদৰে নাজানছিল।

প্ৰেচিডেণ্ট উড্ৰো উইলচন, তেওঁৰ বিৰাট খ্যাতি। জনসাধাৰণ তেওঁৰ নামত মুগ্ধ। বক্তৃতাত আৰু চিঠি-পত্ৰত তেওঁ ইমান সুন্দৰ আৰু আদৰ্শমূলক বাক্য ব্যৱহাৰ কৰিছিল যে জনসাধাৰণৰ বিশ্বাস হৈছিল তেওঁ এজন পয়গম্বৰ বিশেষ, পৃথিৱীত যি নতুন স্বাধীনতাৰ সূত্ৰপাত হ'ব তেওঁ তাৰেই বাৰ্তা বহণ কৰি আনিছে। লয়েড জৰ্জ গ্ৰেট বৃটেনৰ প্ৰধানমন্ত্ৰী—ভাল ভাল বুলি আওৰোৱাত এওঁ সুদক্ষ আছিল, অৱশ্যে এওঁৰ আকৌ সুবিধাবাদী বুলিও খ্যাতি আছিল। ক্লেমেনচুৰ নামেই আছিল 'বাঘ'। আদৰ্শ বা আধ্যাত্মিক বচনৰ প্ৰতি তেওঁৰ মুঠেই অনুৰাগ নাছিল। তেওঁৰ মূল কথা আছিল ফ্ৰান্সৰ পুৰণি শত্ৰু জাৰ্মাণক বিচূৰ্ণ কৰিবই, সকলো কালৰ পৰা তাক এনেভাৱে ধ্বংস আৰু ধূলিসাৎ কৰি দিব যেন আৰু কোনোকালেই সি মূৰ তুলি ঠিয় হব নোৱাৰে। এতেকে এই তিনিজন মিলি পৰস্পৰৰ ভিতৰত টনাটনি কৰিব ধৰিলে। প্ৰত্যেকেই নিজৰ উদ্দেশ্যৰ ফালে টানি আনিবৰ কাৰণে প্ৰত্যেকেই চেষ্টা কৰিব ধৰিলে। প্ৰত্যেকেই আকৌ সন্মিলনৰ ভিতৰত আৰু বাহিৰত আন বহুতো লোকৰ হাতত টনা-আজোৰা আৰু হেঁচা-ঠেলা খাবলৈ ধৰিলে। আৰু এওঁলোকৰ সকলোৰে পিছত বিভীষিকা বঢ়াব ধৰিলে চোভিয়েট ৰুচিয়াৰ কৰাল মূৰ্তিয়ে। সন্মিলনলৈ ৰুচিয়াক মতা হোৱা নাছিল ; জাৰ্মাণীকো নাছিল। কিন্তু পেৰিচৰ সন্মিলনত যিবোৰ পুঁজিপতি জাতিসমূহ আহি একগোট খাইছিল ৰুচিয়াৰ অস্তিত্বই যেন সকলো সময়তে তেওঁলোকৰ জীৱন বিপন্ন কৰি ৰাখিছিল।

শেষত ক্লেমেনচুৱেই জয়লাভ কৰিলে ; লয়েড জৰ্জৰ সহায়ত। উইলচনে এটি বস্তু লৈ বৰ যুদ্ধ কৰিছিল, এটা জাতিসংঘ। সেইটো তেওঁ পালে। তেওঁৰ এই প্ৰস্তাৱটি মানি লোৱাৰ ফলত আন প্ৰায় কোনো বিষয় লৈয়েই তেওঁ বিশেষ


উত্তৰাধিকাৰ ৰাষ্ট্ৰসমূহ
জা ৰ্মা নী
পো লে ণ্ড
প্ৰাগ
চে কো শ্লো ভা কি য়া
মিউনিক
ভিয়েনা
অ ষ্ট্ৰি য়া
দানিয়ুব
বুদাপেস্ট
হা ঙ্গে ৰি
ৰু মা নি য়া
ট্ৰিয়েস্তে
ফিউম
বেলগ্ৰেড
সাৰাজেভো
মহাযুদ্ধৰ পৰবৰ্তী সন্ধিৰ ফলত
অষ্ট্ৰিয়া-হাঙ্গেৰিৰ
হস্তচ্যুত অঞ্চল

যোগ নকৰিলে। এওঁলোকৰ মততে হয়ভৰ দিলে। মাহৰ পিছত মাহ ধৰি তৰ্কাতৰ্কি আৰু আলোচনা চলাই অৱশেষত শান্তি সন্মিলনত উপস্থিত হোৱা মিত্ৰপক্ষই সন্ধিৰ এটা খচৰা তৈয়াৰ কৰিলে, আৰু নিজৰ ভিতৰত একমত হৈ তাৰ পিছত তেওঁলোকে জাৰ্মাণৰ প্ৰতিনিধিসকলক মাতি পঠিয়ালে তেওঁলোকৰ আদেশবোৰ শুনিবৰ কাৰণে। ৪৪০টি ধাৰা সম্বলিত এই দীঘলীয়া সন্ধিপত্ৰখন জাৰ্মাণসকলৰ সন্মুখত পেলাই দি এওঁলোকে আদেশ জাৰি কৰিলে চহী কৰা। আৰু কোনো আলোচনাই তেওঁলোকৰ লগত নহ'ল, নতুন কোনো প্ৰস্তাৱ বা পৰিবৰ্ত্তনৰ কথা মুখত তুলিবলৈও অৱসৰ তেওঁলোকে নেপালে। এই সন্ধি মানে হ'ল এওঁলোকৰ আদেশ অনুযায়ী সন্ধি, জাৰ্মাণীয়ে হয় এইখন যেনে আছে ঠিক তেনেভাৱেই স্বীকাৰ কৰি লব লাগিব—নাইবা তাৰ অস্বীকাৰ কৰাৰ ফল ভোগ কৰিব লাগিব। জাৰ্মাণৰ নতুন প্ৰজাতন্ত্ৰৰ প্ৰতিনিধিসকলে ইয়াত আপত্তি কৰিলে, অৱশেষত মনস্থিৰ কৰিবলৈ তেওঁলোকক যি সময় দিছিল সেই নিৰ্দ্ধাৰিত সময়ৰ শেষত দিনা এই ভাৰ্চাইলচৰ সন্ধি-পত্ৰত স্বাক্ষৰ কৰিলে।

অষ্ট্ৰীয়া, হাঙ্গেৰী, বুলগেৰিয়া, আৰু তুৰস্কৰ লগত মিত্ৰপক্ষই বেলেগ বেলেগ সন্ধিপত্ৰ ৰচনা কৰি স্বাক্ষৰ কৰিলে। তুৰস্কৰ লগত যি সন্ধি কৰা হ'ল তুৰস্কৰ চুলতানে সেইটো মানি লবলৈ ৰাজি আছিল, কিন্তু কামাল পাছা আৰু তেওঁৰ বীৰ সঙ্গীসকলে বৰ বাধা দিয়াৰ ফলত সেই সন্ধি হব নোৱাৰিলে। সেই ইতিহাসৰ কথা মই তোমাক বেলেগে কম।

এইবোৰ সন্ধিৰ ফলত কি কি পৰিবৰ্ত্তন হ'ল ? ভূমিভাগৰ যি পৰিবৰ্ত্তন হ'ল তাৰ বেছিভাগ হ'ল পূৰ্ব্ব ইয়ুৰোপ, পশ্চিম এচিয়া, আৰু আফ্ৰিকাত। আফ্ৰিকাত জাৰ্মাণৰ যিবোৰ উপনিবেশ আছিল মিত্ৰপক্ষই সেইবোৰ লুণ্ঠনৰ বস্তু বুলি হস্তগত কৰি ললে সকলোতকৈ ভাল ঠাইবোৰ পেলোৱা হ'ল ইংলেণ্ডৰ ভাগত, টাঙ্গানিকা আৰু পূৰ্ব্ব আফ্ৰিকাৰ আৰু কিছুমান অঞ্চল হস্তগত হোৱাৰ ফলত ইংলেণ্ডৰ বহুদিনীয়া এটা সপোন সফল হ'ল, উত্তৰে মিচৰৰপৰা আৰম্ভ কৰি দক্ষিণে উত্তমাশা অন্তৰীপ পৰ্য্যন্ত আফ্ৰিকাৰ একেবাৰে ইফালৰপৰা সিফাললৈকে বিয়পি পৰা এখন সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিলে।

ইয়ুৰোপত বহুতো পৰিবৰ্ত্তন হ'ল ; ইয়ুৰোপৰ মানচিত্ৰত একেলগে বহুতো নতুন ৰাজ্যৰ আবিৰ্ভূত হ'ল। ইয়ুৰোপৰ এখন পুৰণি আৰু এখন নতুন মানচিত্ৰ ওচৰে ওচৰে ৰাখি চোৱাচোন তাৰ কিমানখিনি পৰিবৰ্ত্তন হৈছে এবাৰ দেখিলেই সেইটো বুজিব পৰিবা। ইফালবো অলপ অলপ পৰিবৰ্ত্তন হৈছিল। ৰুচিয়াৰ বিপ্লৱৰ ফলত ৰুচিয়াৰ ঠিক সীমান্তত বহুতো জাতিৰ বসতি আছিল যিসকল নিজে ৰুচিয়ান নহয়। তেওঁলোকে চোভিয়েটৰ লগত সম্পৰ্ক ছেদ কৰি নিজকে স্বাধীন বুলি ঘোষণা কৰিলে। চোভিয়েট চৰকাৰেও এওঁলোকৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ স্বীকাৰ কৰি ললে এওঁলোকৰ ওপৰত হস্তক্ষেপ নকৰিলে। ইয়ুৰোপৰ নতুন মানচিত্ৰত এবাৰ চকু ফুৰোৱাচোন। এখন ডাঙৰ ৰাজ্য আছিল অষ্ট্ৰীয়া। হাঙ্গেৰী, সেইখন একেবাৰে নিশ্চিহ্ন হৈ গৈছে, তাৰ ঠাইত দেখা গৈছে বহুতো সৰু সৰু ৰাজ্য, এইবিলাকক মহলবৰত কোৱা হয়, অষ্ট্ৰীয়াৰ উত্তৰাধিকাৰী ৰাজ্যসমূহ। এইবিলাকেই হৈছে, অষ্ট্ৰীয়া ; আগতে সেইখন এখন বৰ ডাঙৰ ৰাজ্য

আছিল। এতিয়া তাৰেই এটি সামান্য অংশত পৰিণত হৈছে, পৃথিৱীৰ অন্যতম অতি বৃহৎ চহৰ ভিয়েনা তাৰেই ৰাজধানী। হাঙ্গেৰীৰো আকাৰ বহুত সৰু হৈ গৈছে। চেকোশ্লোভেকিয়া আগৰ দিনৰ বহেমীয়া ৰাজ্য এতিয়া ইয়াৰ ভিতৰত পৰিছে; আমাৰ পূৰ্ব পৰিচিত কুখ্যাত ৰাজ্য যুগোশ্লোভাকিয়াৰ কিছু অংশ, চাৰ্বিয়া, ইয়াৰ আকৃতি ইমান ডাঙৰ হৈছে যে দেখিলে চিনিবই নোৱাৰি; আৰু আৰু বাকী কিছু অংশ গৈ যোগ হৈছে ৰুমেনিয়া, পোলেণ্ড আৰু ইটালীৰ লগত। এইটো এটা সম্পূৰ্ণ ব্যৱচ্ছেদ।

ইয়াৰ বহুতো উত্তৰত আৰু এখন ৰাজ্যৰ সৃষ্টি হৈছে বা কৰ পাৰি যে এখন পুৰণি ৰাজ্যৰ পুনৰ আবিৰ্ভাৱ হৈছে—পোলেণ্ড। এইখন সৃষ্টি কৰা হ'ল প্ৰুচিয়া, ৰুচিয়া আৰু অষ্ট্ৰীয়াৰ অলপ অলপ অংশ কাটি লৈ। পোলেণ্ডক সাগৰলৈ যোৱাৰ এটি পথ কৰি দিয়াৰ কাৰণে এটি অদ্ভুত কাণ্ড কৰা হ'ল, জাৰ্মাণ বা প্ৰুচিয়াক কাটি দুই টুকুৰা কৰি, তেওঁলোকৰ মাজভাগত বাৰান্দাৰ দৰে সৰু দীঘল মাটি এফাল পোলেণ্ডক দি দিয়া হ'ল, যাতে সেই বাটেৰে সাগৰলৈ যাব পাৰি। এতেকে এতিয়া পশ্চিম প্ৰুচিয়াৰ পৰা পূব প্ৰুচিয়ালৈ কোনোবা যাব খুজিলে তেওঁলোকে পোলেণ্ডৰ অধীন এই সংকীৰ্ণ ঠাইডোখৰ পাৰ হৈ যাবলগীয়া হয়। এই ঠাইৰ উত্তৰফালে বিখ্যাত ডানজিগ চহৰ অৱস্থিত। এইখনক এখন স্বাধীন নগৰত পৰিণত কৰা হৈছে, অৰ্থাৎ এইখন এতিয়া জাৰ্মাণৰো অন্তৰ্গত নহয়, পোল ৰাজ্যৰো সম্পত্তি নহয় ই নিজেই এতিয়া এখন ৰাজ্যবিশেষ,—পোণপটীয়াভাৱে জাতি সংঘৰ অধীনত।

পোলেণ্ডৰ উত্তৰত আছে বাল্টিক অঞ্চলৰ ৰাজ্যবোৰ, লিথুয়ানিয়া, লাটভিয়া এস্তোনিয়া, আৰু ফিনলেণ্ড,, এই আটাইবোৰ জাৰৰ প্ৰাচীন সাম্ৰাজ্যৰ ভগ্নাৱশেষৰ পৰা গঠিত। সৰু সৰু ৰাজ্য এইবোৰ প্ৰত্যেকটিৰেই বিশেষ এটি স্বকীয়া সংস্কৃতি আছে, নিশ্চয় একোটি ভাষা আছে। এটি জানিবলগীয়া কথা তোমাক কব পাৰোঁ, লিথুনিয়ানসকল, জনাত আৰ্য (ইয়ুৰোপৰ আন বহুত জাতিৰ দৰে) এওঁলোকৰ ভাষাৰো সংস্কৃত ভাষাৰ লগত ঘনিষ্ঠ সম্পৰ্ক। কথাটো বিশেষ লক্ষ্য কৰিবলগীয়া, যদিও খুব সম্ভৱ ভাৰতৰ বহুত লোকেই ইয়াৰ সংবাদ নাৰাখে। বহুত দূৰত থকা জাতিবিলাকৰ মাজত যে এটা সম্বন্ধৰ যোগসূত্ৰ থাকিব পাৰে, ইয়াৰ পৰাই সেই বিষয়ে অলপ আভাস আমি পাওঁ।

ইয়ুৰোপৰ ভূ-ভাগত আৰু এটি ডাঙৰ পৰিবৰ্তন সাধিত হৈছে, সেইটো হৈছে আলচেচ আৰু লোৰেণ নামৰ প্ৰদেশ দুখনক ফ্ৰান্সৰ অন্তৰ্ভুক্ত কৰি দিয়া। ইয়াৰ উপৰিও কিছুমান পৰিবৰ্তন কৰা হৈছিল, কিন্তু তাৰ বিৱৰণ দি তোমাক আৰু বিৰক্ত নকৰোঁ। এতিয়া তুমি দেখিলা এই সকলো পৰিবৰ্তনৰ ফলত বহুতো নতুন ৰাজ্যৰ সৃষ্টি হ'ল সেইবোৰৰ প্ৰায় সকলো কেইখনেই সৰু সৰু ৰাজ্য। পূব ইয়ুৰোপ অঞ্চল এতিয়া প্ৰায় বলকান অঞ্চলৰ দৰেই হৈ গৈছে, বহুত সময়ত সেই কাৰণেই কোৱা হয় সন্ধিপত্ৰবোৰে ইয়ুৰোপ মহাদেশখনক বলকান কৰি দিছে। এতিয়া দেশবোৰৰ ভিতৰত সৰুসুৰা কাজিয়া-পেচাল লাগিয়েই থাকে। এই ৰাজ্যবোৰৰ পৰস্পৰ বিদ্বেষ বৰ বেছি। বিশেষকৈ দানিয়ুব নদীৰ পাৰত থকা অঞ্চলসমূহত ই এটা আচৰিত কথা। ইয়াৰ অপৰাধী হ'ল বেছি পৰিমাণে

মিত্ৰপক্ষ, ইয়ুৰোপক সম্পূৰ্ণ অস্বাভাৱিক কিছুমান খণ্ডত তেওঁলোকে বিভক্ত কৰিছে, আৰু তাকে ধৰি অসংখ্য নতুন সমস্যাৰ সৃষ্টি কৰিছে। সৰু সৰু বহুতো জাতি আৰু সম্প্ৰদায়ক বিদেশী শাসনৰ অধীন কৰি দিয়া হৈছে; তেওঁলোকে এইবোৰৰ ওপৰত অত্যাচাৰ চলায়। পোলেণ্ডক এক ডাঙৰ অঞ্চল দি দিয়া হৈছে। সেইটো আচলতে ইউক্ৰেণৰ অংশ। সেই ঠাইৰ নিৰীহ ইউক্ৰেণিয়ানসকলক জোৰ কৰি পোল জাতিত পৰিণত কৰিবলৈ তেওঁলোকৰ ওপৰত উৎপীড়ণ কৰা হৈছে। যুগশ্লেভিয়া, ৰুমেনিয়া, ইটালী প্ৰত্যেকেই এইদৰে কম বেছি পৰিমাণে সংখ্যালঘু বিদেশী সম্প্ৰদায়ক হাতত পাইছে, তেওঁলোকৰ ওপৰত এওঁলোকৰ বেয়া ব্যৱহাৰৰ শেষ নাই। ইফালে আকৌ অষ্ট্ৰীয়া আৰু হাঙ্গেৰীৰ গাৰ সকলো মাংস চুচি নি হাড়দাল মাত্ৰ বাকী ৰখা হৈছে, তেওঁলোকৰ নিজৰ মানুহখিনিৰ অধিকাংশকে তেওঁলোকৰ হাতৰপৰা আঁতৰাই নিয়া হৈছে। বিদেশী শাসনৰ অধীনত থকা এই সকলো ঠাইতে স্বাভাৱিকতে জাতীয় আন্দোলনৰ সৃষ্টি হয়। তাৰ ফলত সদায় মৰামৰি-কটাকটি হৱই লাগিছে।

মানচিত্ৰখনৰ ফালে আকৌ চোৱাচোন। দেখিবা পশ্চিম ইয়ুৰোপৰপৰা ৰুচিয়া সম্পূৰ্ণ বিচ্ছিন্ন হৈ গৈছে; ইয়াৰ মাজত আছে এখন এখনকৈ এলানি ৰাজ্য—ফিনলেণ্ড,এস্তোনিয়া, লাটভিয়া, লিথুয়ানিয়া, পোলেণ্ড আৰু ৰুমেনিয়া। তোমাক কৈছোঁ এই ৰাজ্যবোৰৰ বেছি ভাগেই জন্মলাভ কৰিছিল ভাৰ্চাইলচৰ সন্ধিমতে নহয়—চোভিয়েট বিপ্লৱৰ ফলতহে। কিন্তু তথাপি এইবোৰৰ উদ্ভৱ দেখি মিত্ৰপক্ষ বৰ আনন্দিত হ'ল, কাৰণ এইবোৰ ৰুচিয়া আৰু অ-বলচেভিক ইয়ুৰোপৰ মাজত প্ৰাচীৰ স্বৰূপে থিয় হৈ আছে। এইবোৰ যেন এটা স্বাস্থ্য ৰক্ষাৰ সীমা ৰেখা যাৰদ্বাৰা সংক্ৰামক ৰোগাক্ৰান্ত ঠাইক অন্য ঠাইৰপৰা বেলেগ কৰি ৰখা হয়), সংক্ৰামক বলচেভিক ৰোগৰপৰা এইবোৰে ইয়ুৰোপক দূৰতে আঁতৰাই ৰাখিব। বাল্টিক অঞ্চলৰ এই ৰাজ্যসমূহৰ সকলো কেইখনেই অ-বলচেভিক সেইটো নহলে এইবোৰে অৱশ্যেকত গৈ চোভিয়েট যুক্তৰাষ্ট্ৰৰ লগত যোগ দিলেহেঁতেন।

পশ্চিম এচিয়াত যি প্ৰাচীন তুৰ্কী সাম্ৰাজ্য আছিল, তাৰ কোনো অংশৰ ওপৰত পাশ্চাত্য জাতিবিলাকৰ লোভ জন্মিল। যুদ্ধৰ সময়ত বৃটেনে আৰবসকলক উৎসাহ দি তুৰস্কৰ বিৰুদ্ধে বিদ্ৰোহ কৰোৱাইছিল; তেওঁলোকক আশা দিছিল আৰব পেলেষ্টাইন আৰু চিৰিয়ালৈকে জুৰি এখন সংযুক্ত আৰবৰাজ্য তেওঁলোকে গঢ়ি দিব। অথচ আৰবসকলক যেতিয়া তেওঁলোকে এই প্ৰতিশ্ৰুতি দিছিল ঠিক সেই সময়তেই আকৌ ফ্ৰান্সৰ লগত বৃটেনে এটি গুপুত সন্ধি সম্পন্ন কৰিছিল, আতো ঠিক এই ঠাই বিলাককেই ফ্ৰান্সৰ লগত ভগাই লোৱাৰ ব্যৱস্থা কৰিলে। বৰ ভদ্ৰোচিত কাৰ্য এইটো নহয়, বৃটেনৰ এজন প্ৰধান মন্ত্ৰী ৰামছে মেকডোনাল্ডে ইয়াক এটি 'অভদ্ৰ দুৰ্নীতিয়া নীতিৰ কাহিনী' বুলি অভিহিত কৰিছিল। কিন্তু সেইটো দহবছৰৰ আগৰ কথা। তেতিয়া তেওঁ মন্ত্ৰী হোৱা নাছিল। সেয়ে তেনে সময়ত তেওঁ সত্য কথা কোৱাৰ সুবিধা পাইছিল।

কিন্তু ইয়াতকৈও অদ্ভুত ঘটনা ঘটিল, যেতিয়া বৃটিছ চৰকাৰৰ দূৰত যেনালে যে কেৱল আৰবসকলক যি প্ৰতিশ্ৰুতি দিয়া হৈছিল সেইটো ভঙাই নহয়—ফ্ৰান্সৰ লগত


ইয়ুরোপের নবগঠিত রাষ্ট্রসমূহ
নরওয়ে
ফিনল্যাণ্ড
এস্তোনিয়া
লাটভিয়া
ডেনমার্ক
ডানজিগ
লিথুয়ানিয়া
মস্কো
জার্মানী
পোলেণ্ড
চেকোস্লোভাকিয়া
রুমানিয়া

যি গোপন সন্ধি হৈছিল সেইটোকো ভাঙিব লাগিব। তেওঁলোকৰ আগত তেতিয়া এটি বিৰাট স্বপ্ন জাগি উঠিল। মধ্য প্ৰাচ্যত এখন বৃহৎ সাম্ৰাজ্য স্থাপনৰ স্বপ্ন, ভাৰতবৰ্ষৰপৰা মিছৰলৈকে বিস্তাৰিত হ'ব তাৰ সীমা। ভাৰতীয় সাম্ৰাজ্যৰ লগত আফ্ৰিকাত তেওঁলোকৰ অধীনত যি বিপুল ভূভাগ আছে তাক একেলগে জুৰি লৈ হ'ব ইয়াৰ প্ৰতিষ্ঠা। ই এক বিৰাট ব্যাপাৰ। ই অদ্ভুত স্বপ্ন—ইয়াৰ লোভ সম্বৰণ কৰা সহজ নহয়। উপৰি সেই সময়ত ইয়াক বাস্তৱত পৰিণত কৰাও বৰ কঠিন বুলি মনত হোৱা নাছিল। সেই সময়ত ১৯১৯ চনত এই বিশাল ভূমি খণ্ডৰ সকলোতে বৃটিছ সৈন্যই জুৰি আছিল, পাৰস্য, ইৰাক, পেলেষ্টাইন, আৰবৰ কিছু অংশ, মিছৰ, সকলো তেওঁলোকৰ দখলত। চিৰীয়াৰপৰা ফৰাচীসকলক বাহিৰ কৰি দিয়াৰ চেষ্টাও তেওঁলোকে কৰিছিল। আনকি কনষ্টাণ্টিনোপোল চহৰখনো তেতিয়া বৃটিছৰ দখলত। কিন্তু ১৯২০, ১৯২১, ১৯২২ চনত বহুতো অপূৰ্ব ঘটনাৰ উদ্ভৱ হ'ল, তাৰফলত বৃটেনৰ সেই স্বপ্নও শূণ্যত মিলি গ'ল। পিছফালে চোভিয়েট আৰু আগৰ ফালৰপৰা কামাল পাছা, দুয়োৰে হেঁচাত পৰি বৃটিছ মন্ত্ৰী-সকলৰ ইমান আশাৰ কল্পনা একেবাৰে চূড়মাৰ হৈ গ'ল।

কিন্তু তেতিয়াও বৃটেনে পশ্চিম এচিয়াৰ বহুখিনি ঠাই ইৰাক আৰু পেলে-ষ্টাইন জুৰি ৰহি আছিল। আৰবতো তেওঁলোকে 'ভোট' খুৱাই আৰু অন্যান্য উপায়ে ঘটনা চক্ৰক তেওঁলোকৰ ইচ্ছামতে চলোৱাৰ চেষ্টা কৰিলে। ছিৰীয়া পৰিল ফৰাচীসকলৰ ভাগত। আৰৱ দেশসমূহত যি নতুন জাতীয়তাৰ উদ্ভৱ হৈছিল, তাৰকথা আৰু স্বাধীনতাৰ কাৰণে এওঁলোকৰ সংগ্ৰামৰ কাহিনী মই তোমাক আন এসময়ত কম।

এতিয়া আমি আকৌ ভাৰ্চাইলচ সন্ধিৰ সময়লৈ উলটি যাবলগীয়া হ'ল। এই সন্ধিপত্ৰত কোৱা হ'ল, জাৰ্মাণেই অপৰাধী, তেওঁলোকেই যুদ্ধ ঘটাইছে। এতেকে জাৰ্মাণসকলক জোৰ কৰি সেই সন্ধি পত্ৰত চহী কৰোৱাই তেওঁলোকক সেই যুদ্ধ ঘটোৱাৰ অপৰাধী স্বীকাৰ কৰোৱা হ'ল। এনে ধৰণৰ জোৰ জুলুম কৰি স্বীকাৰো-ক্তিৰ মূল্য একেবাৰেই নাই, ইয়াত কেৱল মনোমালিন্য বাঢ়ে। এই ক্ষেত্ৰতো সেয়ে হৈছে।

জাৰ্মাণৰ ওপৰত আৰু এটি আদেশ জাৰি হ'ল—তেওঁলোকে অস্ত্ৰ-শস্ত্ৰ পৰিত্যাগ কৰিব লাগিব। সৰু এটি সৈন্যবাহিনী কেৱল ৰাখিব পাৰিব, সাধাৰণ ভাৱে দেশৰ মাজত শান্তি শৃঙ্খলা বজায় ৰখাৰ কাৰণে। তেওঁলোকৰ সম্পূৰ্ণ নৌ বহৰ মিত্ৰপক্ষৰ হাতত সমৰ্পন কৰিব লাগিব। এই আত্ম সমৰ্পনৰ কাৰণে যেতিয়া জাৰ্মাণৰ নৌ-বহৰক চলাই নিয়া হৈছিল, সেই সময়ত তাৰ কৰ্মচাৰী আৰু নাবিকসকলে স্থিৰ কৰিলে, বৃটিছৰ হাতত তুলি দিয়াতকৈ সেই নৌবহৰক তেওঁলোকে নিজেই সাগৰত ডুবাই দিব ইয়াৰ বাবে যি দায়িত্ব সেইবোৰো তেওঁলোকে নিজেই স্বীকাৰ কৰি লব। এতেকে ১৯১৯ চনৰ জুন মাহৰপৰা স্কাপা ফ্লো নামৰ ঠাইত সমগ্ৰ জাৰ্মাণ নৌবহৰটোকে তাৰ নিজৰ নাবিক সকলেই তলা ফুটাই ডুবাই দিলে বৃটিছ সৈন্যৰ একেবাৰে চকুৰ আগতে যি সৈন্যই তেতিয়া সেই নৌবহৰৰ হিচাপৰ লেখজোখ লবলৈ প্ৰস্তুত হৈ আছিল।

তাৰ উপৰিও আকৌ যুদ্ধৰ কাৰণে জাৰ্মাণে এটা ক্ষতিপূৰণ দিবলগীয়া হ'ব।

যুদ্ধত মিত্রপক্ষৰ যিবোৰ ক্ষতি আৰু লোকচান ভৰিবলগীয়া হ'ল তাৰো ক্ষতি-পূৰণ কৰিব লাগিব। ইয়াৰ নাম দিয়া হল 'ক্ষতিপূৰণ' বা 'Reparations'। বহু বছৰলৈকে এই কথাটিয়ে ইয়ুৰোপৰ আকাশ আচ্ছন্ন কৰি ৰাখিছিল। এই ক্ষতি পূৰণৰ পৰিমাণ কিমান হব তাৰ কোনো নিৰ্দিষ্ট সংখ্যা সন্ধিপত্ৰত কোৱা নহ'ল, কিন্তু তাৰ পৰিমাণ নিৰ্দিষ্ট কৰাৰ ব্যৱস্থা কৰা হ'ল। যুদ্ধৰ কাৰণে মিত্রপক্ষৰ কিমান ক্ষতি হৈছে সম্পূৰ্ণ পূৰণ কৰাৰ এই প্ৰতিশ্ৰুতি ;—ই এটা ডাঙৰ বোজা। জাৰ্মাণ পৰাজিত আৰু চূড়মাৰ হোৱা দেশ, তেতিয়া তেওঁলোকৰ পক্ষেৰৰ চলোৱা নানান সমস্যা বৰ ডাঙৰ হৈ পৰিছে। ইয়াৰ উপৰি যদি মিত্রপক্ষৰ বোজাও তাৰ কান্ধত আহি পৰে তেন্তে তেওঁলোকৰ পক্ষে সেইটো চম্ভালি লোৱাই অসম্ভৱ, সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰা তেওঁলোকৰ সাধ্যৰ অতীত। কিন্তু মিত্রপক্ষই তেতিয়া বিদ্বেষ আৰু প্ৰতিহিংসাৰ প্ৰবৃত্তিৰে মতলীয়া হৈ উঠিছে। তেওঁলোকে কেৱল 'এক পাউণ্ড মাংস' কাটি নিয়েই ক্ষান্ত নহব জাৰ্মাণৰ ভূলুণ্ঠিত দেহৰ পৰা নিগৰি ওলোৱা শেষ বিন্দু তেজলৈকে আদায় কৰিহে এৰিব। ইংলেণ্ডত তেতিয়া লয়েড জৰ্জে এটি নিৰ্বাচিত জয়লাভ কৰিছিল, কেৱল 'কাইজাৰক ফাচি দিয়া' এই ধ্বনি তুলি। ফ্ৰান্সত জনসাধাৰণৰ তিক্ততা ইয়াতকৈ আৰু তীব্ৰ আছিল।

সন্ধিপত্ৰত যিমানবোৰ চৰ্ত্ত আছিল তাৰ প্ৰধান উদ্দেশ্য হ'ল যিমান ফালৰপৰা সম্ভৱ জাৰ্মাণক নাগ পাশেৰে বান্ধি একেবাৰে পঙ্গু কৰি ৰাখা যেন আৰু কোনো দিনেই তেওঁলোকে শক্তি সঞ্চয় কৰিব নোৱাৰে। পুৰুষানুক্ৰমে তেওঁলোক কেৱল মিত্রপক্ষৰ অৰ্থনৈতিক দাস স্বৰূপে থাকিব, কৰ স্বৰূপে প্ৰচুৰ পৰিমাণৰ টকা বছৰে বছৰে তেওঁলোকক সোধাব। এটা ডাঙৰ জাতিক এই ধৰণে দীৰ্ঘকাল জুৰি হাত ভৰি বান্ধি ৰখা সম্ভৱ নহয় বুৰঞ্জীত এই কথা বাৰে বাৰে প্ৰমাণিত হৈছে। কিন্তু সেই সহজ কথাটো এই অতি বিজ্ঞ মহাৰাষ্ট্ৰনীতিবিদ পণ্ডিতসকলৰ মগজত নোসোমাল। ভাৰ্চাইলত তেওঁলোকে এই যি প্ৰতিহিংসাৰে ভৰা সন্ধিৰ ভেটি স্থাপন কৰিলে, আজি তেওঁলোকে তাৰ বাবে অনুতাপ কৰিছে। সবাৰো শেষত তোমাক আৰু এটি বস্তুৰ কথা কব লাগিব, সেইটো হৈছে প্ৰেচিডেণ্ট উইলচনৰ সৃষ্টি—'লীগ অৰ নেচেনচ', ভাৰ্চাইলচ সন্ধিৰ ফলত জগতত তাৰ উৎপত্তি হৈছে। কথা আছিল—এইখন এখন স্বাধীন আৰু স্ব-শাসিত ৰাষ্ট্ৰবিলাকৰ মিলন ক্ষেত্র, ইয়াৰ লক্ষ্য হব "ন্যায় বিচাৰ আৰু উপযুক্ত মৰ্যদা অনুসৰি বিভিন্ন ৰাষ্ট্ৰৰ মাজত মৈত্ৰী স্থাপন কৰি যুদ্ধৰ ভৱিষ্যত সম্ভাৱনাক ৰোধ কৰা আৰু জগতৰ সকলো জাতিৰ মাজত বাস্তৱ আৰু মানসিক সহযোগিতা প্ৰতিষ্ঠা কৰা।" অতি প্ৰশংসনীয় সংকল্প। লীগৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰবিলাকে প্ৰত্যেকেই প্ৰতিশ্ৰুতি দিলে শান্তিপূৰ্ণ উপায় আপোচ নিষ্পত্তিৰ সকলোৰকমৰ একেবাৰে শেষ হৈ যোৱাৰ আগতে তেওঁলোকে কোনোপধ্যে কোনেও আন কোনো সহযোগী ৰাষ্ট্ৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা নকৰিব ; আৰু সেই ক্ষেত্ৰতো যুদ্ধ ঘোষণা কৰিব ন মাহ কাল অপেক্ষা কৰি তাৰ পিছত। লীগৰ অন্তৰ্ভুক্ত কোনো ৰাষ্ট্ৰই যদি এই প্ৰতিশ্ৰুতি ভঙ্গ কৰে তেন্তে আন আন ৰাষ্ট্ৰবোৰে সেই ৰাষ্ট্ৰৰ লগত সকলোপ্ৰকাৰৰ টকা কড়িৰ লেনদেন আৰু ব্যৱসায়-বাণিজ্য আদি আৰ্থিক আৰু অৰ্থনৈতিক সম্পৰ্ক বন্ধ কৰি দিব, এই প্ৰতিজ্ঞাও তেওঁলোকে কৰিলে। কাগজে কলমে এই কথাবোৰ শুনিবলৈ বৰ ভাল লাগে কাৰ্যত যি ঘটিল সি একেবাৰে অন্য বস্তু। এইটো কিন্তু লক্ষ্য কৰিবলগীয়া,

লীগে যুদ্ধৰ সম্ভাৱনাক একেবাৰে শেষ কৰি দিয়াৰ চেষ্টা কৰা নাই; কেৱল যুদ্ধ লগাৰ বাটত অলপ অচৰপ বাধা জন্মাব বিচাৰিছে; যেন এই ভাবেৰে কিছু সময় পাৰ হৈ যোৱাৰ ফলত আৰু ইতিমধ্যে আপোচ মীমাংসাৰ চেষ্টাৰ ফলত মানুহৰ মনত যুদ্ধ লগোৱাৰ উত্তেজনা আপোনাআপুনি কমি আহিব পাৰে। বিৰোধৰ কাৰণত যুদ্ধ লাগে সেইবোৰ দূৰ কৰাৰ চেষ্টাও ই কৰা নাই।

এই লীগৰ ভিতৰত এখন এছেম্বলী আৰু এখন কাউন্সিল থকাটো স্থিৰ হ'ল। এছেম্বলী গঠিত হব ইয়াৰ অন্তৰ্ভুক্ত দেশৰ প্ৰতিনিধিসকলক লৈ, আৰু কাউন্সিলত ডাঙৰ জাতিকেইটাৰ প্ৰতিনিধিৰ কাৰণে স্থায়ী আসন থাকিব—ইয়াৰ উপৰিও আন কেইজনমান সভ্যও থাকিব। এছেম্বলীয়ে এইকেইজনৰ নিৰ্বাচন কৰি দিব। আৰু থাকিব এখন চৰকাৰী দপ্তৰখানা বা 'চেক্ৰেটাৰীয়েট'। তুমি জানাই যে ইয়াৰ প্ৰধান কাৰ্যালয় হ'ল জেনেভাত। ইয়াৰ উপৰিও কিছুমান কামৰ কাৰণে একো একোটা বিভাগ থাকিব, এটা আন্তৰ্জাতিক শ্ৰমিক অফিচ, এওঁলোকে শ্ৰমিক সংক্ৰান্ত সকলো সমস্যাৰ মীমাংসা কৰিব; আন্তৰ্জাতিক বিচাৰৰ বাবে এটি স্থায়ী আদালত ই হেগত অৱস্থিত, বিভিন্ন দেশৰ মাজত জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত আদান প্ৰদান আৰু সহযোগিতাৰ কাৰণে এটি কমিটি। ইয়াৰ সকলো কাম লীগে আৰম্ভণিৰপৰাই প্ৰচলন কৰা নাছিল। কিছুমান কথা পিছত যোগ কৰা হৈছে।

লীগৰ সংগঠন পদ্ধতিৰ মূল সূত্ৰটো ভাৰ্চাইলচ সন্ধিৰ ভিতৰতে আছিল। ইয়াৰ নাম হল 'লীগ-অব-নেচনচ সংক্ৰান্ত চুক্তিপত্ৰ' (Covenant of the League of Nations)। এই চুক্তি-পত্ৰত এই কথাও লিখা হৈছিল, সকলো দেশেৰেই ৰণসজ্জা কমাই দিব লাগিব, নিজৰ নিজৰ দেশৰ নিৰাপত্তাৰ কাৰণে যিখিনি নহলে নহয় তাৰ বেছি ৰণসজ্জা কোনেও ৰাখিব নোৱাৰিব। সাৰ্বজনিক নিৰস্ত্ৰীকৰণৰ (সেইটো অৱশ্যে বাধ্যতা মূলক আছিল) কথাটো ইয়াৰেই প্ৰথম স্তৰ বুলি বৰ্ণনা কৰা হ'ল। আৰু কোৱা হল, আন আন দেশতো ক্ৰমে ইয়াক অনুসৰণ কৰা হব। আৰু কোৱা হল কোনো ৰাষ্ট্ৰই যদি আনক আক্ৰমণ কৰে তেন্তে তাৰ শাস্তিৰ ব্যৱস্থা কৰা হব। কিন্তু আক্ৰমণ বুলিলেই কি বুজাই সেই কথা স্পষ্ট কৰি কোৱা নহ'ল। দুখন দেশৰ দুটা জাতিৰ মাজত যেতিয়া যুদ্ধ হয় দুয়োজনে ইজনে সিজনৰ ওপৰত দোষ দিয়ে কয় তেওঁলোকে আহিহে আমাক আক্ৰমণ কৰিছে।

ডাঙৰ ডাঙৰ কথাত লীগে তেওঁলোকৰ সিদ্ধান্ত ঘোষণা কৰিব পাৰিছিল কেৱল সকলো সভ্য একমত হ'লেহে। সেয়ে এখন ৰাষ্ট্ৰয়ো যদি কোনো এটা প্ৰস্তাৱৰ বিপক্ষে মত প্ৰকাশ কৰে, সেই প্ৰস্তাৱ বাতিল হৈ যায়। ইয়াৰ অৰ্থ আছিল কেৱল ভোটৰ সংখ্যাধিক্যৰ জোৰত কাকো জোৰ জুলুম কৰি বাধ্য কৰা নহব। তাৰ উপৰিও ইয়াৰ ফলত প্ৰত্যেকখন জাতীয় ৰাষ্ট্ৰ ঠিক আগৰ দৰেই স্বাধীন আৰু প্ৰায় আগৰ দৰেই দায়িত্বজ্ঞান শূন্য হৈ থাকিল, লীগ সকলোৰে ওপৰত এটি কৰ্তৃত্বশীল অনুষ্ঠান হৈ গঢ়ি উঠিব নোৱাৰিলে। এই ব্যৱস্থাটিৰ কাৰণেই লীগৰ শক্তি খৰ্ব কৰি গ'ল; ই প্ৰকৃততে এখন কেৱল উপদেশ দিয়া প্ৰতিষ্ঠানত পৰিণত হৈ পৰিল।

যি কোনো স্বাধীন ৰাষ্ট্ৰৰেই লীগত যোগ দিয়াৰ অধিকাৰ আছিল। কিন্তু চাৰিখন দেশক একেবাৰে নাম ধৰি ইয়াৰ বাহিৰত ৰখা হ'ল—এই কেইখন হৈছে

পৰাজিত তিনিখন দেশ জাৰ্মাণ, অষ্ট্ৰীয়া, তুৰস্ক আৰু বলচেভিক দেশ ৰুচিয়া। এই কথা অৱশ্যে লগে লগেই কোৱা হ'ল যে পিছত কিছুমান বিশেষ চৰ্তত এওঁলোকেও লীগত যোগদান কৰিব পাৰিব। আচৰিত কথা যে 'ভাৰতবৰ্ষ' কিন্তু আৰম্ভৰপৰাই লীগৰ এজন সভ্য হৈ আছে, অকল স্বাধীন ৰাষ্ট্ৰবোৰেহে যে ইয়াৰ সভ্য হব পাৰে সেই কথা দেখ দেখকৈ অগ্ৰাহ্য কৰি। 'ভাৰতবৰ্ষ' বোলোতে অৱশ্যে ভাৰতৰ বৃটিছ চৰকাৰেই বুজোৱা হৈছিল, এই চাতুৰীৰে বৃটিছ চৰকাৰে লীগত তেওঁলোকৰ এটা দল বঢ়াই ললে। ইকালে আকৌ আমেৰিকাক লীগৰ এক হিচাবে জন্মদাতা কোৱা হয়—অথচ আমেৰিকাই ইয়াত যোগ দিবলৈ অস্বীকাৰ কৰিলে। প্ৰেচিডেণ্ট উইলচনৰ কাৰ্যকলাপ আৰু ইয়ুৰোপৰ দেশবিলাকত কূট-নীতি আৰু জটিল ৰাজ্যোন লক্ষ্য কৰি আমেৰিকাৰ জনসাধাৰণ বিৰক্ত হৈ উঠিছিল—এওঁলোকে স্থিৰ কৰিলে ইয়াৰ কাষ নাচাপিবলৈ।

বহুতেই লীগৰ কালে বৰ উৎসাহেৰে চাই থাকিল, আশা কৰিলে আজিৰ দিনত জগতত আমাৰ ভিতৰত যিমান বৈষম্য যিমান বাদ-বিসম্বাদ, লীগে তাৰ অৱসান ঘটাব; অন্ততঃ বহু খিনি কমোৱাৰ ব্যৱস্থা কৰিব। পৃথিৱীত শান্তি আৰু সমৃদ্ধিৰ এটি যুগ ৰচনা কৰিব। লীগৰ নাম জনসাধাৰণৰ আগত প্ৰচাৰ কৰাৰ উদ্দেশ্যে আৰু আন্তৰ্জাতিক দৃষ্টি ভঙ্গিৰে সকলো বস্তুকে চোৱাৰ অভ্যাস মানুহৰ মাজত জন্মোৱাৰ উদ্দেশ্যে বহুত দেশত বহুতো লীগ অব নেচনচ সমিতি গঠন হ'ল। আনফালে আকৌ বহুতে কবলৈ ধৰিলে লীগ খন এখন ডাঙৰ ভণ্ডামীৰ অনুষ্ঠান, কেৱল ডাঙৰ ডাঙৰ জাতি কেইটাৰ মতলব পূৰা কৰিবৰ কাৰণেই ইয়াৰ সৃষ্টি কৰা হৈছে। এতিয়া আমি লীগ সম্বন্ধে কিছুমান বাস্তৱ অভিজ্ঞতা অৰ্জন কৰিছোঁ; ইয়াৰ কাৰ্য-কাৰিতা কিমানখিনি সেইটো বিচাৰ কৰা হয়তো এতিয়া আমাৰ পক্ষে সহজ হৈছে। ১৯২০ চনৰ নতুন বছৰৰ দিনা লীগৰ কাৰ্য আৰম্ভ হৈছিল, ইয়াৰ বয়স এতিয়াও অৱশ্যে বৰ বেছি হোৱা নাই, কিন্তু এই অলপ সময়ৰ ভিতৰতে লীগে নিজৰ অকৰ্মণ্যা আৰু অসাৰ বুলি প্ৰমাণিত কৰি পেলাইছে। আধুনিক জীৱনৰ বহুতো সাধাৰণ কথাত লীগে বেছ্ ভাল কামেই দেখুৱাইছিল তাত সন্দেহ নাই, আন্তৰ্জাতিক সমস্যা-লৈ আলোচনা কৰিবৰ কাৰণে বিভিন্ন জাতি বা তেওঁলোকৰ চৰকাৰ সমূহক ই থূপ কৰাই একেলগে বহুৱাইছে; কেৱল এই কথাটিয়েই পুৰণি জগতৰ ৰীতিৰ তুলনাত বহুদূৰ অগ্ৰগতিৰ পৰিচায়ক। কিন্তু ইয়াৰ আচল উদ্দেশ্য আছিল শান্তি ৰক্ষা কৰা, অন্ততঃ যুদ্ধৰ সম্ভাৱনা কমাই দিয়া; সেই কাম কৰিবলৈ ই একেবাৰে অক্ষম হৈছে।

ইয়াক লৈ প্ৰেচিডেণ্ট উইলচনৰ প্ৰধানতে কি অভিপ্ৰায় আছিল নাজানো, কিন্তু এই সম্বন্ধে কোনো সন্দেহৰ থল নাই যে লীগ এতিয়া হৈ পৰিছে ডাঙৰ শক্তি সমূহৰ বিশেষকৈ ইংলেণ্ড আৰু ফ্ৰান্সৰ যন্ত্ৰ মাত্ৰ। ইয়াৰ মূল কথাটোৱেই হৈছে বৰ্তমান অৱস্থাকেই বাহাল ৰখা। বিভিন্ন জাতিৰ মাজত ন্যায় বিচাৰৰ আৰু পৰস্পৰ মৰ্যাদাৰ কাল ই দোহাৰি থাকে। কিন্তু বিভিন্ন জাতিৰ মাজত যি সম্পৰ্ক বৰ্তমান আছে, সেইটো সঁচাকৈয়ে ন্যায়বিচাৰৰ আৰু মৰ্যাদাৰ ওপৰত প্ৰতিষ্ঠিত হয়নে নহয় তাৰ বিচাৰ কৰিব ই নিবিচাৰে। কম জাতিবিলাকৰ ঘৰুৱা কথাত হস্তক্ষেপ কৰিবলৈ ই নাপায়। সাম্ৰাজ্যবাদী জাতিৰ তলত বিবোৰ জাতি আছে

তেওঁলোকৰ কথা ইয়াৰ পক্ষে অৱশ্যে ধকৰা কথাই নিশ্চয়। এতেকে লীগে কৰ, এই সাম্ৰাজ্যবাদীসকলে তেওঁলোকৰ সাম্ৰাজ্য চিৰকাল ধৰি শাসন কৰি থাকক— এইটোৱেই ইয়াৰো কাম্য। তাৰ উপৰিও আকৌ জাৰ্মাণ আৰু তুৰ্কীৰ হাতৰপৰা বহুতো নতুন ঠাই কাঢ়ি আনি মিত্ৰপক্ষৰ দেশ বিলাকক দি দিয়া হৈছিল, এইবোৰৰ নাম হৈছিল 'মেণ্ডেট' ৰক্ষাধীন। এই কথাটোৱেই ঠিক লীগ অৱ নেচনচৰ প্ৰকৃতিৰ যোগ্য কথা, কাৰণ ইয়াৰ মাজৰ ইঙ্গিতটোৱেই হৈছে, পুৰণি দিনৰ সাম্ৰাজ্যবাদী শোষণ বাধাহীনভাৱে চলি থাকিব, অৱশ্যে এই সুমধুৰ নামৰ ওৰণি লৈ। কেৱল হয় এই অঞ্চলবোৰৰ ৰক্ষাৰ ভাৰ এওঁলোকৰ হাতত দিয়া হৈছে, এই ঠাইবোৰৰ প্ৰজাসাধাৰণৰ অভিপ্ৰায় অনুসৰি। বহু ঠাইত সেই প্ৰজাৰ এই ৰক্ষকসকলৰ বিৰুদ্ধে বিদ্ৰোহ আদিও হৈছে; বহু দিন ধৰি সংগ্ৰামো চলিছে, প্ৰাণ বিসৰ্জন দিছে, অৱশেষত বৰ্মা আৰু কামানৰ গুলি খাই এওঁলোকৰ আকৌ বশ্যতা স্বীকাৰ কৰিছে। প্ৰজাসকলৰ অভিপ্ৰায় ৰক্ষা কৰাৰ কথাটো অৱশ্যে ভালেই বুলিব লাগিব।

সুন্দৰ সুন্দৰ শব্দ চয়ন কৰা ভাষা অৱশ্যে বহুতো তেতিয়া কোৱা হৈছিল। সাম্ৰাজ্যবাদী জাতিবোৰ হৈছে অভিভাৱক বা তত্ত্বাৱধায়ক, ৰক্ষাধীন প্ৰজাসকলৰ ভাৰ এওঁলোকৰ ওপৰত, এই জিম্মাৰ সকলো চৰ্ত্ত পালিত হৈছে নে নাই তাৰ প্ৰতি চকু ৰখাৰ ভাৰ থাকিল লীগৰ ওপৰত। প্ৰকৃততে এনে ব্যৱস্থাত অৱস্থা আৰু বেয়াৰ ফালে চাল খালে। সাম্ৰাজ্যবাদী জাতিবিলাকে যি ইচ্ছা তাকে কৰিব ধৰিলে, অথচ তেওঁলোকে বাহিৰত দেখুৱালে এটা বৰ ডাঙৰ কৰ্ত্তব্য, ছদ্মবেশ অজ্ঞলোকসকলৰ বিবেক সেই বেশ দেখিয়েই বুঢ় হৈ গ'ল। কোনো সৰু ৰাষ্ট্ৰই যেতিয়া কোনো ৰকমৰ অন্যায় কৰে, লাগে তেতিয়া বৰ গম্ভীৰ ভাব ধাৰণ কৰে; তেওঁলোকৰ খঙৰ গোজৰণিত সেইবোৰ সকলো পাৰ কাটি যায়। আৰু ডাঙৰ জাতিবোৰৰ কোনেৰে যেতিয়া অপৰাধ কৰে, লীগে তেতিয়া বিমানদূৰ সম্ভৱ আন ফালে চকু ঘূৰাই ৰহি থাকে, নাইবা তেওঁলোকৰ সেই অপৰাধ বিমানদূৰ পাৰে লঘু বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰে।

এই দৰে ডাঙৰ জাতিবোৰে লীগক নিজৰ ইচ্ছামতে চলাব ধৰিলে, ইয়াৰ দ্বাৰা য'ত তেওঁলোকৰ উদ্দেশ্য সিদ্ধি হৈছে তাত ইয়াক কামত লগাইছে, আৰু যেতিয়া ইয়াক উপেক্ষা কৰি চলিলে তেওঁলোকৰ সুবিধা হয় তাত ইয়াক উপেক্ষা কৰিয়ে চলিছে। তথাপি হয়তো এই অপৰাধ লীগৰ নহয়, অপৰাধ আছিল আচলতে এই ব্যৱস্থাটোৰেই, লীগে নিজৰ স্বভাৱতেই তাল ৰাখি চলিবলগীয়া হৈছে। সাম্ৰাজ্যবাদৰ মূল কথাই হ'ল বিভিন্ন জাতিৰ মাজত অতি তীব্ৰ অৰিয়াঅৰি আৰু প্ৰতিদ্বন্দ্বিতা। তেওঁলোকৰ প্ৰত্যেকেই পৃথিৱীখনক যি বিমান পাৰে শোষণ কৰিব লব বিচাৰে। এখন সমাজৰ প্ৰত্যেকজন সভ্যই যদি সকলো সময়তে পৰস্পৰ জেপ লুকুকিব বিচাৰে পৰস্পৰৰ ডিঙি কাটিবলৈ যদি কটাৰীত ধাৰ দিয়ে, তেন্তে তেওঁ লোকৰ ভিতৰত বৰ বেছি সহযোগিতা গঢ়ি উঠিব বা সেই সমাজৰ বৰ বেছি উন্নতি হব এনে আশা কৰাই ভুল। এই কাৰণেই জাকত জিলিকা এখন প্ৰতিষ্ঠান, মাতব্বৰ, আৰু অভিভাৱক থকা স্বত্বেও লীগ ক্ৰমানুয়ে নিস্তেজ হৈ পৰাত আচৰিত হব লগীয়া একো নাই।

ভাৰ্চাইলচত যেতিয়া সন্ধিৰ চৰ্ত্ত আদিলৈ আলোচনা চলিছে, জাপান চৰকাৰৰ তৰফৰপৰা তেতিয়াই কোৱা হৈছিল, যে সকলো জাতিৰেই মৰ্যাদা সমান। এই মৰ্ম্মে এটি ধাৰা সন্ধি পত্ৰত সন্নিৱিষ্ট কৰা হৈছিল। সেই প্ৰস্তাৱ তেতিয়া গৃহীত নহ'ল। জাপানক অৱশ্যে শান্ত কৰি ৰখা হ'ল চীনৰ কিয়াচাও প্ৰদেশ তেওঁলোকক দান কৰি। চীনৰ দৰে এখন দুৰ্বল আৰু বিনয়ী মিত্ৰদেশৰ দিণ্ডি মুচৰি 'বৃহৎ ত্ৰিশক্তিয়ে' বৰ ডাঙৰ এটি উদাৰতা দেখুৱাই দিলে। এই খণ্ডতে চীনে সন্ধিপত্ৰত স্বাক্ষৰ নকৰিলে।

যুদ্ধ শেষ কৰাৰ কাৰণে অনুষ্ঠিত যুদ্ধৰ শেষ হৈছিল ভাৰ্চাইলচ সন্ধিত, ই হৈছে সেই সন্ধিৰ স্বৰূপ। ফিলিপ স্নোডেন পিছত তেওঁ হৈছিল ভাইকাউণ্ট স্নোডেন। এওঁ বৃটিছ মন্ত্ৰীসভাৰ এজন মন্ত্ৰী আছিল। এই সন্ধিৰ বিষয়ে তেওঁ এইদৰে মন্তব্য কৰিছিল—

"দস্যু, সাম্ৰাজ্যবাদী, আৰু সমৰ ব্যৱসায়ীসকলৰ এই সন্ধি পত্ৰ আনন্দিত হোৱাৰে কথা। যি সকলে আশা কৰিছিল এই যুদ্ধৰ শেষ হলে শান্তি আহিব; তেওঁলোকৰ সেই আশা ইয়াত সমূলি নষ্ট হৈছে। এইটো শান্তি প্ৰতিষ্ঠাৰ সন্ধি পত্ৰ নহয়, আৰু এখন যুদ্ধৰ ঘোষণা পত্ৰহে। গণতন্ত্ৰৰ প্ৰতি আৰু যুদ্ধত যি সকলে প্ৰাণ দিছে তেওঁলোকৰ প্ৰতি ইয়াত বিশ্বাস ঘাটকতা কৰা হৈছে। মিত্ৰপক্ষৰ প্ৰকৃত মনোভাব এই সন্ধি পত্ৰত ফুটি উঠিছে।"

প্ৰকৃততে মিত্ৰপক্ষই দ্বেষ, অহংকাৰ, আৰু লোভৰ আশাত বৰ বেছিকৈ নিজকে ডুবাই ৰাখিছিল। পিছৰ কালত তাৰ কাৰণে তেওঁলোক অনুতপ্ত হৈ পৰে, যেতিয়া বুজি পালে যে তেওঁলোকৰ বুদ্ধিৰ ভুলতেই নিজে নিজেই উজুতি খাইছে। কিন্তু তেতিয়া বৰ বেছি পলম হৈ গৈছিল।

১৫৬

যুদ্ধোত্তৰ জগত

২৬ এপ্রিল ১৯৩৩

ইমান দিনৰ পিছত আমি এই দীঘলীয়া বাটৰ শেষ সীমা পালোঁহি, আধুনিক যুগৰ আৰম্ভণিত আমি থিয় হৈছোঁহি। এইবাৰ আমি দেখিম যুদ্ধৰ পিছৰ জগত খনক, মহাযুদ্ধৰ পিছৰ যুগৰ জগতখনক। এইটো আমাৰ নিজৰ যুগ—তোমাৰো নিজৰ জীৱনৰ যুগ। আমাৰ যাত্ৰা পথৰ এইটোৱেই শেষ পদক্ষেপ। কালৰ সোঁতত ইয়াৰ দৈৰ্ঘ অতি সামান্য! কিন্তু তথাপি এইটো বৰ কঠিন যাত্ৰা। যুদ্ধ শেষ হোৱাৰ আজি ঠিক চাৰে চৈধ্য বছৰ হ'ল, পৃথিৱীৰ যি দীঘল দীঘল যুগ আমি পাৰ হৈ আহিছোঁ; তাৰ তুলনাত এই নিচেই ক্ষুদ্ৰ সময় খিনি—কিমাননো? কিন্তু আমি নিজেই ইয়াৰ ঠিক মাজতেই নিমগ্ন হৈ আছোঁ, ইমান ওচৰতে থাকি ঘটনা চক্ৰৰ স্বৰূপ সম্বন্ধে নিৰ্ভুল ধাৰণা কৰা বৰ কঠিন। যি ধৰণে চালে ইয়াৰ যথাৰ্থ স্বৰূপটি ধৰা পৰিব, ইয়াৰ পৰা আমি সেই ধৰণে ইয়াক চাবলৈ অৱসৰ পোৱা নাই, বুৰঞ্জী আলোচনাৰ কাৰণে মনৰ মাজত যি শান্ত নিৰ্বিকাৰত্বৰ প্ৰয়োজন, তাকো আয়ত্ব কৰিবলৈ আমাৰ সম্ভৱ হোৱা নাই। বহু কথালৈ আমি অতিশয় উত্তেজিত হৈ উঠো, তেতিয়া বহুতো সৰু কথা আমাৰ চকুত বৰ ডাঙৰ হৈ পৰে, আৰু বহুতো সঁচাকৈয়ে ডাঙৰ কথাৰো গুৰুত্ব আমি ঠিক মতে বুজিব নোৱাৰোঁ। অসংখ্য গছৰ শাৰী দেখি আমি দিক হেৰুৱাই পেলাওঁ, হাবিখন যে ক'ত সেইটো আৰু চকুত নপৰে।

তাৰপিছত আৰু এটা অসুবিধা আছে, কোন ঘটনাৰ গুৰুত্ব কিমান খিনি সেইটো জানিম কেনেকৈ? কি মাক কাঠিৰে ইয়াক জুখিম? এই কথা সহজে বুজিব পাৰি, কি দৃষ্টিৰে গোটেই ঘটনাটো চাওঁ, তাৰ ওপৰতেই বহুদূৰ ফলাফলো নিৰ্ভৰ কৰে। একালৰপৰা চালে যি ঘটনাটো অতি গুৰুতৰ বুলি মনত ধৰে আন একালৰ পৰা চালে হয়তো সেইটো মনত হব একেবাৰে সাধাৰণ সামান্য ঘটনা, তোমালৈ যিমান চিঠি মই লেখিছোঁ তাৰ ভিতৰত এই কথাটো মই সাধাৰণতে এৰি গৈছোঁ, ইয়াৰ সহজ আৰু সম্পূৰ্ণ উত্তৰ মই তোমাক দিয়া নাই। অথচ তথাপি যি অলপ অচৰপ মই লেখিছোঁ, তাৰ সকলোৰে ওপৰত মোৰ সাধাৰণ মতামতৰ এটি আভাস পৰিছে। এই একে যুগ আৰু ঘটনাৰ কথা লিখিব গৈ আন এজন লোকে হয়তো একেবাৰে বেলেগ ধৰণে লেখিলেহেঁতেন।

ইতিহাস সম্বন্ধে আমাৰ দৃষ্টিভঙ্গী কেনে ধৰণৰ হোৱা উচিত সেই প্ৰশ্ন লৈ মই এতিয়াও আলোচনা নকৰোঁ। মোৰ নিজৰ দৃষ্টিভঙ্গী যোৱা কেই বছৰৰ ভিতৰত বহুত খিনি সলনি হৈছে। এই ঘটনা আৰু বহুত ঘটনাৰ সম্বন্ধে মই যি দৰে মত সলনি কৰি লৈছোঁ, আৰু বহুতৰে মতো সেইদৰে সলনি হৈছে। তাৰ কাৰণ যুদ্ধৰ হেচাত পৃথিৱীত প্ৰত্যেক বস্তু আৰু প্ৰত্যেক ব্যক্তিৰ প্ৰকৃতিত এটা অতি কঠোৰ জোকাৰণি লাগিছে। পুৰণি কালৰ যি জগত আমাৰ আছিল যুদ্ধই তাক একেবাৰে ধূলিস্যাৎ কৰি পেলাইছে; তাৰ পিছৰ পৰাই সেই পুৰণি জগত আকৌ অতি কষ্টৰে ঠিয় হৈ উঠিবলৈ চেষ্টা কৰিছে, কিন্তু উঠিবপৰা নাই। যিবোৰ ধাৰণা আৰু মতামতেৰে আমি ডাঙৰ হৈ উঠিছিলো সেইবোৰৰ মূল ভেটিয়েই লৰকফৰক হব ধৰিছে, আধুনিক সমাজ আৰু সভ্যতাৰ গুৰিতে এতিয়া কিবা সত্য আছে নে নাই, সেই বিষয়ে আমাৰ মনত সন্দেহ জাগি উঠিছে। অসংখ্য ডেকা প্ৰাণৰ ভয়াবহ অপচয় ঘটা আমি দেখিছোঁ, মিছা ভাষণ শুনিছোঁ, অত্যাচাৰ পাশৱিক মনোবৃত্তি আৰু ধ্বংস-লীলাৰ তাণ্ডৱ নৃত্য দেখিছোঁ, আচৰিত হৈ ভাবিছোঁ সভ্যতা শেষ হৈ গ'ল নেকি? ৰুচিয়াত চোভিয়েটৰ আবিৰ্ভাৱ হ'ল; নতুন এটা বস্তু, নতুন এখন সমাজ ব্যৱস্থা পুৰনি ব্যৱস্থাৰ প্ৰতিদ্বন্দী স্বৰূপে আমাৰ সন্মুখত আহি ঠিয় হ'ল। আৰু বহুতো নতুন মতবাদ আকাশে-বতাহে ভাহি ফুৰিব ধৰিলে। বৰ ডাঙৰ এটি ভঙা চিন্তাৰ যুগ আছিল সেইটো, পুৰণি কালৰ যিমান মতবাদ ৰীতিনীতি, হুৰমুৰকৈ ভাঙি পৰিল, মানুহৰ ভয় আৰু সমস্যাৰে ভৰি পৰিল, যুগৰ সন্ধিক্ষণত দ্ৰুত পৰিৱৰ্তনৰ সময়-ছোৱাত সেইটো নহৈ নোৱাৰে।

এইবোৰ কাৰণতেই যুদ্ধৰ পিছৰ কাল চোৱাক ঠিক ইতিহাসৰ বস্তু বুলি ভবাতো আনৰ পক্ষে অলপ টান কথা। নানান ধৰণৰ মতবাদ আৰু সিদ্ধান্ত লৈ আলোচনা কৰিব, সংশয় প্ৰকাশ কৰিব আমি পাৰোঁ, তাৰ মাজত কোনো এটাক অতি পুৰণি কালৰ বস্তু বুলি জানি কেৱল তাৰ কাৰণেই সেইটোক মানি লবলৈও আমি বাধ্য নহয়, কিন্তু সেই বুলি মতবাদ আৰু সিদ্ধান্ত লৈ কেৱল লাৰি চাৰি খেলা কৰি কটোৱা অধিকাৰো আমাৰ নাই, আমি নিজেই যিমান দূৰ সম্ভৱ মনো-যোগেৰে চিন্তা কৰি চাব লাগিব, আমাৰ কি কৰ্তব্য সেইটো স্থিৰ কৰি লব লাগিব পৃথিৱীৰ ইতিহাসত ই এটা যুগ পৰিৱৰ্তনৰ কাল, এই সময়তেই বিশেষ কৰি আমাৰ দেহ আৰু মনৰ সকলো শক্তিকে কামত লগোৱাৰ প্ৰয়োজন আছে। এয়ে হৈছে সময়, যেতিয়া দৈনন্দিন জীৱনৰ বৈচিত্ৰহীন ব্যৱস্থা অকস্মাৎ জীৱন্ত হৈ উঠে, নতুন আৱিষ্কাৰৰ আহ্বানে আমাক হাত বাউল দি মাতিবলৈ ধৰে, নতুন জগতৰ সৃষ্টিৰ কামত আমি সকলোৱে গৈ অলপ হাত লগাবলৈ আজৰি পাওঁ। এনে সময়তেই দেশৰ ডেকাশক্তি আগবাঢ়ি আহিছে, কাৰ্য সম্পন্ন তেওঁলোকেই কৰিব পাৰিছে। চিন্তাধাৰা আৰু পৰিৱেশ যেতিয়া সলনি হয় ডেকা সকলেই সহজে তাৰ লগত নিজক খাপ খুৱাই চলিব পাৰে, যি সকল বুঢ়া, যি সকলৰ মন ডাঠ হৈ গৈছে, পুৰণি মতামত আৰু ৰীতি-নীতি যিসকলৰ মজ্জাগত, তেওঁলোকে সেইটো নোৱাৰে। যুদ্ধৰ পিচৰ এই কাল চোৱাক অলপ ভালদৰে বিশ্লেষণ কৰি চালে বোধকৰো ক্ষতি নাই। কিন্তু এইখন চিঠিত মই তোমাক ইয়াৰ সম্বন্ধে থূলমূল এটি সাধাৰণ ধাৰণা দিব বিচাৰোঁ। নেপোলিয়নৰ পতনৰ পিছত উনবিংশ শতাব্দীৰ ইতিহাস লৈ আমি যি আলোচনা কৰিছিলোঁ, নিশ্চয়

তোমাৰ মনত আছে, ১৮১৫ চনৰ ভিয়েনাৰ সন্ধি আৰু তাৰ ফলাফলৰ কথা আমাৰ সাধাৰণতে মনত পৰে, ১৯১৯ চনৰ ভার্চাইলচ সন্ধি আৰু তাৰ ফলাফলৰ লগত ইয়াৰ তুলনা নকৰি আমি নোৱাৰোঁ। । ভিয়েনাৰ সন্ধিৰ ফলাফল ভাল নহয়, ইয়ুৰোপত ভৱিষ্যতে আকৌ যুদ্ধ লাগিব তাৰ বীজ এই সন্ধিৰ মাজতেই পচোৱা হৈছিল। সেইবাৰ ঠেকিও কিন্তু আমাৰ কালৰ ৰাষ্ট্ৰনীতিবিদসকলে একোৱেই নিশিকিলে ; ভার্চাইলচ সন্ধি কৰিলে তাতকৈয়ো বেয়া ধৰণে। ইয়াৰ স্বৰূপ মোৰ যোৱা চিঠিত দেখুৱাইছো। এই তথাকথিত সন্ধি বা শান্তি পত্ৰৰ কাল ছায়াতে যুদ্ধোত্তৰ যুগৰ পৃথিৱীক অন্ধকাৰত ঢাকি ৰখা হৈছে।

এই যোৱা চৈধ্যটা বছৰৰ ভিতৰত পৃথিৱীত ডাঙৰ কি ঘটনা ঘটিছে বাৰু চোৱা যাওঁক। মোৰ মতে এই সময় হোৱাৰ সকলোতকৈ ডাঙৰ আৰু সকলোতকৈ বিস্ময়কৰ ঘটনা হ'ল চোভিয়েট ইউনিয়নৰ অভ্যুত্থান আৰু সংহতি লাভ ; ইয়াৰ নাম ইউ, এছ, এছ, আৰ বা ইউনিয়ন অব্ চচিয়েলিষ্ট এণ্ড চোভিয়েট ৰিপাব্লিকছ্ পৃথিৱীত প্ৰৱৰ্ত্তি থাকিবলৈ চোভিয়েট ৰুচিয়াই কি কঠোৰ সংগ্ৰাম কৰিব লগীয়া হৈছিল তাৰ অলপ অচৰপ কাহিনী মই আগেয়েই তোমাক কৈছোঁ। । এই সকলো বাধা বিঘিনি অতিক্ৰম কৰি যে তেওঁলোক জয়ী হব পাৰিছে, এইটোৱেই হৈছে এই শতাব্দীৰ এটি আচৰিত ঘটনা। এচিয়াৰ বিয়ানখিনি ঠাইলৈ ভূতপূৰ্ব্ব জাৰৰ সাম্ৰাজ্য বিয়পি আছিল সেই এচিয়াৰ সকলোখিনি ঠাই জুৰি চোভিয়েটৰ ব্যৱস্থা প্ৰতিষ্ঠিত হৈছে, চাইবেৰিয়াত একেবাৰে প্ৰশান্ত মহাসাগৰৰ পাৰলৈকে মধ্য এচিয়াত ভাৰত সীমান্তৰ অতি ওচৰলৈকে। প্ৰথমতে বহুতো বেলেগ বেলেগ চোভিয়েট প্ৰজাতন্ত্ৰ স্থাপিত হৈছিল, তাৰ পিছত সিবোৰ সকলোটি সংঘবদ্ধ হৈ এখন যুক্তৰাষ্ট্ৰত পৰিণত হৈছে, ইয়াৰেই এতিয়া নাম হৈছে ইউ, এছ, এছ, আৰ। ইয়ুৰোপ আৰু এচিয়াৰ অতি বিস্তৃত অঞ্চলত এই যুক্তৰাজ্য অৱস্থিত, ইয়াৰ আয়তন পৃথিৱীৰ ভূ-ভাগৰ প্ৰায় ছয়ভাগৰ এক ভাগৰ সমান। অতি বিস্তৃত অঞ্চল, কিন্তু কেৱল আয়তন লৈয়ে ৰাষ্ট্ৰৰ মৰ্যাদাৰ জোখ নহয়। ৰুচিয়া বৰ অনুন্নত দেশ আছিল, চাইবেৰিয়া আৰু মধ্য-এচিয়া আছিল আৰু বেছি অনুন্নত। দ্বিতীয়তে যি আচৰিত ঘটনাটি চোভিয়েটসকলে সম্ভৱ কৰিলে, সেইটো হৈছে এই দেশৰ ৰূপ-পৰিবৰ্ত্তন দেশৰ উন্নয়নৰ অপূৰ্ব্ব সকলো পৰি-কল্পনা কৰি এই বিৰাট দেশৰ অতি বিস্তৃত অঞ্চলৰ ৰূপ এওঁলোকে এনেদৰে সলনি কৰি দিলে যে তাক দেখিলে চিনিব নোৱাৰি। এটা জাতিৰ দ্ৰুত অগ্ৰ-গতিৰ এনে দৃষ্টান্ত ইতিহাসত আৰু নাই। মধ্য-এচিয়াৰ অতি পিচপৰা অঞ্চল-বোৰ ইমান বিজুলী বেগেৰে উন্নত হৈ উঠিল যে তাকে দেখি ভাৰতবৰ্ষত আমি ঈৰ্ষান্বিত হোৱাৰে কথা। সকলোতকৈ এওঁলোকে উন্নতি দেখুৱালে শিক্ষা আৰু শিল্পত। ডাঙৰ ডাঙৰ পাঁচবছৰীয়া পৰিকল্পনাৰ সহায়েৰে ৰুচিয়াৰ শিল্পপ্ৰতিষ্ঠানৰ কাম একেবাৰে দ্ৰবনুৰকৈ আগবঢ়াই নিয়া হৈছে, ডাঙৰ ডাঙৰ সকলো কাৰখানা তৈয়াৰ কৰা হৈছে সেই দেশত। দেশৰ জনসাধাৰণে অৱশ্যে বৰ কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছে ইয়াৰ কাৰণে, বিলাসিতা আৰু আৰামৰ কথা এৰিচোৱেই প্ৰয়োজনীয় বস্তুৰ পৰাও তেওঁলোকে স্বেচ্ছায় বঞ্চিত হৈ থাকিব-লগীয়া হৈছে, যেন তেওঁলোকৰ আয়ৰ বেছি অংশ পৃথিৱীৰ এই প্ৰথম সমাজতন্ত্ৰী

দেশৰ প্ৰতিষ্ঠা আৰু সংগঠনৰ কাৰ্যত ব্যৱহাৰ হ'ব পাৰে। ইয়াৰ বোজা বিশেষকৈ বহন কৰিবলগীয়া হৈছিল কৃষকসকলে।

এই চোভিয়েট দেশখন ক্ৰমান্বয়ে আগুৱাই গৈছে, আৰু পশ্চিম ইয়ুৰোপৰ দেশসমূহ নিতৌ নতুন বিপদ আৰু সমস্যাত সাঙোৰ খাই পৰিছে ; এওঁলোকৰ মাজৰ পাৰ্থক্যটি বৰ স্পষ্টভাৱে চকুত পৰে। বিপদ-বিঘিনি যিমানেই থাকক, পশ্চিম ইয়ুৰোপৰ ধন ঐশ্বৰ্য এতিয়াও ৰুচিয়াতকৈ বহুত বেছি। বহুকাল তেওঁলোকে সম্পদত কটাইছে ; তাৰ মাজত তেওঁলোকে দেহত বহুখিনি সাৰ সঞ্চয় কৰি লৈছে, এতিয়া কিছু কাললৈ তাৰ ওপৰতেই নিৰ্ভৰ কৰি গৈছে, এতিয়া তেওঁলোক জীৱাই থাকিব পাৰিব। কিন্তু এই প্ৰত্যেকখন দেশেই ঋণৰ বোজাত পীড়িত, ভাৰ্চাইলচ সন্ধিত জাৰ্ম্মাণৰ ওপৰত যি ক্ষতি পূৰণৰ দায়িত্ব জাপি দিয়া হৈছিল তাৰ কাৰণে চিন্তাগ্ৰস্ত আৰু ইয়াৰ সৰু ডাঙৰ সকলো দেশৰ মাজত ক্ৰমান্বয়ে অৰিয়া-অৰি আৰু দ্বন্দ খৰিয়াল চলিব ধৰিছে। এই সকলোবোৰ মিলি ইয়ুৰোপৰ অৱস্থা ভয়াবহ কৰি তুলিছে। এই বিপদৰপৰা উদ্ধাৰৰ উপায় উলিয়াবৰ কাৰণে অবিৰাম আলোচনাৰ বৈঠক বহিছে, উপায় কিন্তু একো উলিয়াব পৰা নাই। দিনে দিনে অৱস্থা আৰু বেয়া হৈ উঠিছে। আজিৰ দিনত চোভিয়েট ৰুচিয়াৰ লগত পশ্চিম ইয়ুৰোপৰ তুলনা কৰিব যোৱাতো, যেন ডেকাৰ লগত বুঢ়াৰ তুলনা। ডেকাৰ কান্ধত বৰ গধুৰ বোজা কিন্তু তাৰ শৰীৰ, মন, স্বাস্থ্য আৰু শক্তিৰে ভৰপূৰ, বুঢ়াৰ জীৱনত আশা বা উদ্যম বুলিবলৈ বিশেষ একোৱেই বাকী নাই, মনত আজিও তেওঁৰ অহঙ্কাৰ আছে ; কিন্তু সেই অহঙ্কাৰৰ বলত তেওঁ আগুৱাই গৈছে জীৱনৰ নিশ্চিত ধ্বংশৰ ফালে।

যুদ্ধৰ পিছত মনত ধৰিছিল আমেৰিকাৰ যুক্তৰাষ্ট্ৰক ইয়ুৰোপৰ এই সংক্ৰামক বেমাৰে স্পৰ্শ কৰিব পৰা নাই। দশ বছৰলৈকে ইয়াৰ একেবাৰে অসাধাৰণ সমৃদ্ধি দেখা গ'ল। টকা ধাৰে দিয়া বেপাৰত এক কালত ইংলেণ্ডই সম্পূৰ্ণ কৰ্তৃত্ব ৰাখিছিল। যুদ্ধৰ সময়ত আমেৰিকাই তাৰ সেই ঠাই দখল কৰি ললে। এতিয়া আমেৰিকাই হল গোটেই পৃথিৱীৰ মহাজন, পৃথিৱীৰ সকলো দেশই তাৰপৰা টকা ধাৰে লয়। অৰ্থনীতিৰ ফালৰপৰা কোৱা যায় যে পৃথিৱীত এতিয়া ইয়াৰেই কৰ্তৃত্বৰ আসন। সমগ্ৰ পৃথিৱীৰ পৰা যি প্ৰশংসা পাইছে তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই বেছ সুখে স্বচ্ছন্দে কটাই দিব পাৰে, ইয়াৰ আগতে ইংলেণ্ডে তাকেই কৰিছিল কিন্তু সেইটো কৰিব যোৱাৰ বাটত আমেৰিকাৰ দুটা অসুবিধা আছিল, তেওঁলোকে টকা খটোৱা দেশ সকলোবিলাকৰে অৱস্থা বেয়া হৈ পৰিছে, নগদ টকাৰে ধাৰ সোধোৱাৰ শক্তি তেওঁবিলাকৰ নাই। অৱশ্যে অৱস্থা ভালে থাকিলেও এই বিৰাট পৰিমাণৰ দেনা নগদ টকাৰে সোধাই দিয়াৰ সাধ্য তেওঁবিলাকৰ নহলহেঁতেন। ধাৰশোধোৱাৰ একমাত্ৰ উপায় তেওঁবিলাকৰ হ'ল মালবস্তু তৈয়াৰ কৰা, আৰু সেইবোৰ আমেৰিকালৈ পঠাই দিয়া। কিন্তু বিদেশী পণ্য বস্তু তেওঁলোকৰ বজাৰত আহি ওলাব এইটো আমেৰিকাৰ পছন্দ নহয়, তেওঁলোকে অতি উচচ ধৰণৰ ৰক্ষা শুল্কৰ ব্যৱস্থা কৰি দিলে ; ফলত ইয়াৰ অধিকাংশ মালেই আমেৰিকাত সোমাব নোৱাৰিলে। তেনেহলে এই বেচেৰা খৰুৱা সকলে তেওঁলোকৰ ধাৰ সোধকৰে কেনেকৈ? এটা বৰ সুন্দৰ পন্থা উলিয়ালে আমেৰিকাই, তেওঁলোকে নিজেই তেওঁলোকক

আৰু বেছি ধাৰ দিব, যেন সেই টকাৰে তেওঁলোকৰ পাৱলগীয়া সুত শোধাই দিব পাৰে। ধাৰ আদায় কৰাৰ অতি অপূৰ্ব উপায়, এই ব্যৱস্থাৰে মহাজনে ক্ৰমে আৰু বেছিকৈ টকা দি থাকিব, আৰু ধাৰৰ পৰিমানো ক্ৰমে বাঢ়ি গৈ থাকিব। এই ব্যৱস্থা দেখি স্পষ্ট বুজিব পৰা গ'ল যে এই ঋণৰ বোজাৰপৰা এই ধৰুৱা দেশবোৰে কোনো দিনেই মুক্ত হব নোৱাৰিব। তাৰ পিছত এদিন হঠাৎ আমেৰিকাই এওঁলোকক টকা ধাৰে দিয়া বন্ধ কৰি দিলে, আৰু লগে লগেই এওঁলোকৰ কাগজ-পত্ৰত যিখিনি আৰ্থিক সংস্থান আছিল সকলোখিনি হুৰমূৰ কৰে ভাঙি পৰিল। তাৰ পিছত আকৌ আৰু এটি বৰ আচৰিত ঘটনা ঘটিল। আমেৰিকা, ধন সম্পদৰে সমৃদ্ধিশালী আমেৰিকা। টকা আৰু সোনৰে তেওঁলোকৰ ভঁৰাল ভৰপূৰ। অথচ হঠাৎ দেখা গ'ল সেই আমেৰিকাতেই অসংখ্য লোক নিবনুৱা হৈ পৰিছে, শিল্প ব্যৱসায়ৰ ৰথৰ চকা গৈছে বন্ধ হৈ। দেশৰ মাজত নিদাৰুন দৈন্য আৰু দুৰ্দশাৰ ৰাজত্বই দেখা দিছে।

আমেৰিকা ধন সোণৰ দেশ, তেওঁলোকৰেই যাতে এই দুৰ্দশা ইয়ুৰোপৰ অৱস্থা কি হৈছিল বুজিবই পাৰিছা। প্ৰত্যেক দেশেই চেষ্টা কৰিব ধৰিছে বিদেশী পণ্য নিকিনিবলৈ, অতি চৰা দৰত ৰক্ষা শুল্ক বহুৱাই আৰু নানান বুদ্ধি খটায়, 'স্বদেশী বস্তু কিনক' বুলি ধ্বনি তুলি, তেওঁলোকে বিদেশী বস্তু অহাৰ পথ বন্ধ কৰিব ধৰিলে। প্ৰত্যেক দেশেই তেতিয়া বিচাৰিছে আনৰ ওপৰত কেৱল নিজৰ মাল-বস্তু বেছিবলৈ, আনৰ মালবস্তু নিজে নিকিনে, অন্ততঃ যিমানদূৰ সম্ভৱ কম কিনিব। ব্যৱসায় আৰু বাণিজ্য মানেই হৈছে পৰস্পৰৰ ভিতৰত পণ্য বিনিময়, এতেকে আন্তৰ্জাতিক বাণিজ্যৰ মৃত্যু নঘটাৰলৈ এই ধৰণৰ ব্যৱস্থা বেছি দিন চলোৱাটো অসম্ভৱ। এই নীতিৰ নাম হৈছে অৰ্থনৈতিক জাতীয়তাবাদ। ইয়াৰ ঢৌ সকলো দেশতেই লাগিল, উগ্ৰ জাতীয়তাবাদৰ অন্যান্য প্ৰকাশো দেখা পোৱা গ'ল। ব্যৱসায় বাণিজ্য আৰু শিল্পৰ বজাৰ মন্দা হ'ল, তাৰ লগে লগে প্ৰত্যেক দেশৰ দাৰিদ্য বাঢ়িব ধৰিলে। ডাঙৰ ডাঙৰ সাম্ৰাজ্যবাদী দেশবোৰ এই সংকটৰপৰা উদ্ধাৰ পোৱাৰ উপায় বুলি বিদেশত শোষণৰ হেচা আৰু বঢ়াই দিলে, আৰু নিজৰ দেশত শ্ৰমিকৰ মজুৰি কমাই দিব ধৰিলে। পৃথিৱীৰ সকলোতে সকলো দেশেই প্ৰত্যেকে তাৰ শোষণৰ হেচা বঢ়াই লোৱাৰ কামনা আৰু চেষ্টা চলাইছে, এতেকে প্ৰতিদ্বন্দ্বী সাম্ৰাজ্যবাদী দেশবোৰৰ মাজত ক্ৰমে সংকট বাঢ়ি গ'ল। লীগ অৱ-নেচনছে বহি বহি অস্ত্ৰ বৰ্জনৰ ডাঙৰ ডাঙৰ বচন আওৰাব ধৰিলে আৰু কাৰ্য্যতঃ একোৱেই নকৰিলে; ইফালে পৃথিৱীত যুদ্ধৰ কঢ়াল ছায়া ক্ৰমে ওচৰ চাপি আহিব ধৰিলে। আকৌ সকলোৱে বুজিলে যুদ্ধ নহৈ নোৱাৰে। আকৌ পৃথিৱীৰ সকলো দেশ যুদ্ধৰ কাৰণে সাজু হব ধৰিলে, নিজৰ ভিতৰতে দল গঢ়িবলৈ আৰম্ভ কৰি দিলে।

দেখি শুনি এনে ধাৰণা হ'ল যে এই যুগত পশ্চিম ইয়ুৰোপত আৰু আমেৰিকাত বিস্তাৰ কৰা আৰু বাকী পৃথিৱী ছোৱাকো নিজৰ ক্ষমতাৰ অধীন কৰি পেলোৱা পুঁজিবাদী সভ্যতাৰ শেষ হবৰ আৰু বেছি পলম নাই। যুদ্ধৰ পিছত প্ৰথম দহ বছৰ সকলোৱে ভাবিছিল যে হয়তো পুঁজিবাদী আকৌ

এই হেচা চম্ভালি সবল হৈ উঠিব, আৰু কিছুকালৰ বাবে সুস্থ জীৱন ধৰি বাচি থাকিব পাৰিব। কিন্তু যোৱা তিনি বছৰৰ ঘটনা দেখি সেই সম্বন্ধে সকলোৱেই এতিয়া অতি সন্দিহান হৈ পৰিছে। পুঁজীবাদী দেশবোৰৰ মাজত পৰস্পৰৰ অৰিয়া-অৰি ক্রমান্বয়ে বিপদজনক অৱস্থাত আহি পৰিছেহি; তাৰ উপৰিও প্রত্যেকখন দেশৰ ভিতৰতো ভিন ভিন শ্রেণীসমূহৰ ভিতৰত বনুৱা শ্রেণী আৰু শাসন ব্যৱস্থা যিসকল কৰায়াৰ, সেই ধনীক শ্রেণী অথবা মালিক শ্রেণীৰ মাজত বিৰোধ দিনে দিনে তীব্রতৰ হৈ উঠিছে। এতেকে ডাঙৰ ডাঙৰ দেশবোৰৰ মাজত যুদ্ধ আৰু প্রত্যেক দেশৰ ভিতৰত গৃহযুদ্ধ দুয়োটা বিপদৰেই আশঙ্কা এতিয়া দেখা দিছে। অৱস্থা য'ত বৰ বেয়াকৈ উঠিছে, সেই ঠাইতে মালিক শ্রেণীয়ে মৰো-জীও-অধিক হৈ এটা শেষ চেষ্টা কৰি চাইছে, শ্রমিক শ্রেণীৰ এই অভ্যুদয়ক কোনোমতে ভাঙি চিঙি পোলোৱা যায় নে নেযায়। এওঁলোকৰ এই চেষ্টাই ৰূপ গ্রহণ কৰিছে ফেচিজিমত। ফেচিজিম সেই ঠাইতেই দেখা দিছে, য'ত বিভিন্ন শ্রেণীৰ মাজত বিৰোধ অতি তীব্র হৈ উঠিছে। মালিক শ্রেণীয়ে ইমান দিনে যি প্রভুত্বৰ আসনত বহি আছিল সেই আসন তেওঁলোকৰপৰা হস্তান্তৰ হোৱাৰ আশঙ্কা দেখা গৈছে।

যুদ্ধৰ অলপ দিন পিছতে ইটালীত ফেচিজিমৰ প্রথম আবির্ভাৱ হয়। শ্রমিকসকল তাত ক্রমে আয়ত্তৰ বাহিৰ হৈ গৈছিল; এনে সময়তে ফেচিষ্টসকল আহি দেশৰ কর্তৃত্ব গ্রহণ কৰিলে। তেওঁলোকৰ নেতা হ'ল মুচলিনী। তেতিয়াৰ পৰাই তেওঁলোকে দেশৰ শাসনৰ ভাৰ অধিকাৰ কৰি আছে। ফেচিজিম মানে হৈছে নগ্ন একনায়কত্ববাদ। প্রজাতন্ত্রৰ ৰীতি-নীতিৰ বিৰুদ্ধে এওঁলোকে খোলা খুলিভাৱে অৱজ্ঞা প্রকাশ কৰে। ইয়ুৰোপৰ বহু দেশতে কম বেছি পৰিমাণে ফেচিষ্ট ৰীতি-নীতি বিয়পি পৰিছিল; একনায়কত্ব প্রথায়ো বহুতো ঠাইত বিয়পি পৰিছিল; ১৯৩৩ চনৰ প্রথম ভাগত জার্মাণীত যি প্রজাতন্ত্রৰ সৃষ্টি হৈছিল, তাৰ শেষ হৈছে। শ্রমিকসকলৰ আন্দোলন ধ্বংস কৰিবৰ কাৰণে জঘণ্য বর্বৰ নীতিৰ তাত প্রয়োগ হৈছে।

এতেকে ইয়ুৰোপত এতিয়া ফেচিজিমে মূৰ দাঙি উঠিছে, গণতান্ত্রিক আৰু সাম্যবাদী শক্তিসমূহৰ মুখা-মুখিকৈ, আৰু ইফালে পুঁজিপতি দেশবোৰে পৰস্পৰে পৰস্পৰৰ ফালে কেৰাহিকৈ চাইছে; পৰস্পৰৰ ভিতৰত যুদ্ধ কৰিবলৈ সাজু হৈছে; প্রাচুর্য আৰু দৰিদ্রতাৰ ওচৰা-ওচৰি অৱস্থান, এই অপূর্ব দৃশ্য কেৱল পুঁজিপতি দেশসমূহতে দেখা যায়, একালে থুপাই থোৱা খাদ্য পচি গৈছে, পেলাই দিয়া হৈছে আনকি নষ্ট কৰি পোলোৱা হৈছে, আনফালে মানুহে খাবলৈ নাপায় শুকাই মৰিছে।

ইয়ুৰোপৰ এখন পুৰণি দেশ স্পেইন। মাথোন কেইবছৰমান হ'ল ই নিজকে প্রজাতন্ত্রলৈ ৰূপান্তৰিত কৰিছে, ইয়াৰ হাপচবার্গ বুর্বো বংশীয় ৰজাক ওকলাই পেলাইছে। ইয়ুৰোপৰ আৰু পৃথিৱীৰ ৰজাৰ সংখ্যা এজন কমিছে।

যোৱা চৈধ্য বছৰৰ তিনিটা প্রধান ঘটনাৰ কথা তোমাক মই কৈছোঁ; চোভিয়েট ইউনিয়নৰ প্রতিষ্ঠা, অর্থনীতিৰ কথাত গোটেই পৃথিৱীতে আমেৰিকাৰ

প্ৰভুত্ব প্ৰতিষ্ঠা আৰু তাৰ বৰ্তমান সঙ্কট ইয়ুৰোপৰ জটিল পৰিস্থিতি। এই সময়-ছোৱাৰ চতুৰ্থ ডাঙৰ ঘটনা হৈছে, প্ৰাচ্য জগতৰ দেশসমূহৰ পূৰ্ণ জাগৰণ আৰু স্বাধীনতা অৰ্জনৰ কাৰণে তেওঁলোকৰ উগ্ৰ প্ৰয়াস। প্ৰাচ্য জগতে এইবাৰ স্পষ্ট-ভাৱে জগতৰ ৰাজনীতিৰ ক্ষেত্ৰত আহি পদাৰ্পন কৰিছে। এই প্ৰাচ্য দেশসমূহক দুটা ভাগত ভগাব পাৰি ; কিছুমানক স্বাধীন দেশ বুলি ধৰা হয় আৰু কিছুমান উপনিৱেশ বিশেষ, আন কোনো সাম্ৰাজ্যবাদী দেশৰ অধীন। এচিয়া আৰু উত্তৰ আফ্ৰিকাৰ এই সকলোবোৰ দেশতে জাতীয় চেতনা সবল হৈ উঠিছে, স্বাধীনতাৰ কাৰণে এওঁলোকৰ আকাংখাও স্পষ্ট আৰু সক্ৰিয় হৈ উঠিছে। প্ৰত্যেক দেশতে ডাঙৰ ডাঙৰ আন্দোলন গঢ়ি উঠিছে ; বহুতো ঠাইত বিদ্ৰোহ হৈছে, পাশ্চাত্য সাম্ৰাজ্যবাদৰ বিৰুদ্ধে। ইয়াৰ বহুতো দেশকেই চোভিয়েট ইউনিয়নে পোষ-পটীয়া সাহায্য কৰিছে বা তাতোকৈ যি ডাঙৰ কথা জাতীয় সংগ্ৰামৰ সঙ্কট মুহূৰ্তত পিচত আহি ঠিয় হৈ এওঁবিলাকৰ মনত সাহস আৰু উৎসাহ যোগাইছে।

এটা জাতিয়ে পুৰ্নজন্ম লাভ কৰাৰ সকলোতকৈ আচৰিত উদাহৰণ দেখুৱালে তুৰস্কই, সকলোৱে ভাবিছিল ই একেবাৰে শেষ হৈ গৈছে। ইয়াৰ বাবে কৃতিত্ব বহুখিনি মুস্তাফা কামাল পাছাৰ পাপ্য, সকলো মানুহ, সকলো পৰিৱেশ, যেতিয়া তেওঁৰ বিৰুদ্ধে, তেতিয়াও এই বীৰ নেতাজনে মূৰ তল কৰিবলৈ বাজি নহল। নিজৰ দেশক কেৱল বিদেশীৰ অধীনৰ পৰা তেওঁ মুক্তি কৰাই নহয় ইয়াক সম্পূৰ্ণ আধুনিক কৰি তুলিছে, এনেদৰে ইয়াৰ গোটেই ৰূপটোকে সলনি কৰি দিছে যে দেখি আৰু চিনিবই নোৱাৰি। চুলতান আৰু খলিফাৰ ৰাজত্বৰ তেওঁ বিলোপ সাধন কৰিছে, মহিলাসকলৰ পৰ্দা আৰু আন আন বহুতো পুৰণি প্ৰথাও তুলি দিছে। এই কামত চোভিয়েটৰ নৈতিক আৰু বাস্তৱ সমৰ্থনে তেওঁক বহুখিনি সাহায্য কৰিছিল। বৃটিছসকলৰ প্ৰভাৱৰপৰা পাৰস্যাই মুক্তি লাভৰ চেষ্টা চলাইছিল, তেওঁলোকক‌ো চোভিয়েটে বহুখিনি সহায় কৰিছিল। পাৰস্যাতো এজন দুৰ্দ্ধৰ্ষ লোকৰ আবিৰ্ভাৱ হৈছে—নাম ৰেজা খাঁ। এতিয়া তেৱেঁই পাৰস্যৰ ৰজা। এই সময়তেই আফগানিস্থানেও সম্পূৰ্ণ স্বাধীনতা প্ৰতিষ্ঠা কৰি গৈছে।

একমাত্ৰ আৰবৰ বাহিৰে আৰব অঞ্চলৰ সকলো দেশেই বিদেশীৰ অধীনত। আৰবসকলে এক হৈ দাবী জনাইছিল, সেই দাবী পূৰণ কৰা হোৱা নাই। আৰব দেশৰ ডাঙৰ অংশখিনি স্বাধীন হৈছে, তাৰ শাসনকৰ্ত্তা হৈছে চুলতান ইবনেসৌদ। ইৰাক নামত স্বাধীন, কিন্তু কাৰ্য্যত ই বৃটিছৰ প্ৰভাৱ আৰু প্ৰভুত্বৰ অধীনত। পেলেষ্টাইন আৰু ট্ৰান্সজৰ্ডান এই দুখন হ'ল বৃটিছৰ 'মেনডেট'—চিৰিয়া ফ্ৰাচীৰ মেনডেট। চিৰিয়াত ফ্ৰাচীসকলৰ বিৰুদ্ধে এটা আচৰিত ধৰণৰ বীৰোচিত বিদ্ৰোহ হৈছিল সেই বিদ্ৰোহ কিছুপৰিমাণে সফলো হৈছিল। মিছৰেও বহুতবাৰ বিদ্ৰোহ কৰিছে, বৃটিছ সকলৰ বিৰুদ্ধে ই দীৰ্ঘকাল ধৰি সংগ্ৰাম চলাইছে। সেই সংগ্ৰাম আজিও চলি আছে। যদিও নামত ইয়াক এতিয়া স্বাধীন বোলা হয়, মিছৰত এতিয়া ৰাজত্ব কৰিছে এজন ৰজাই, কাৰ্যত এওঁ বৃটিছৰ হাতৰ পুতলা। উত্তৰ আফ্ৰিকাৰ বহু দূৰত পশ্চিম অঞ্চলৰ মৰক্কো দেশেও স্বাধীনতাৰ কাৰণে বীৰৰ দৰে যুদ্ধ কৰিছিল আৰু তাৰ নেতা আছিল আব্দুল কৰিম। স্পেইনৰ

নেতাসকলক তেওঁ দেশৰপৰা বিতাৰিত কৰিছিল। কিন্তু তাৰ পিছত ফ্ৰান্সে তেওঁলোকৰ সকলো শক্তি লৈ ইয়াৰ বিৰুদ্ধে অভিযান চলালে ইয়াক একেবাৰে চুড়মাৰ কৰি দিলে।

পৃথিৱীলৈ এটি নতুন চেতনা আহিছে, প্ৰাচ্য জগতৰ অতি দূৰত থকা দেশ-বোৰতো একে লগতে সকলো নৰ-নাৰীৰ মনত ই সঁহাৰি জনাই জগাই তুলিছে, এচিয়া আৰু আফ্ৰিকাৰ দেশে দেশে স্বাধীনতা লাভ কৰিবৰ কাৰণে হোৱা যুদ্ধ-বোৰেই তাৰ প্ৰমাণ। এইবোৰৰ ভিতৰত দুখন দেশ বিশেষকৈ চকুত পৰে, কাৰণ পৃথিৱীৰ ভিতৰত এওঁলোকৰ স্থান ওখত। এই দুখন হৈছে চীন আৰু ভাৰতবৰ্ষ। এই দুখনৰ কোনো এখনত প্ৰগতিমূলক কিবা পৰিবৰ্তন ঘটিলে তাৰ প্ৰভাৱ গোটেই পৃথিৱী জুৰি ডাঙৰ শক্তিসমূহৰ ওপৰত পৰে, পৃথিৱীৰ ৰাজনীতিত তাৰ ফলত ডাঙৰ পৰিবৰ্তন নহৈ নোৱাৰে। এই কাৰণেই চীন আৰু ভাৰত-বৰ্ষত যি সংগ্ৰাম চলিছে সেইটো কেৱল এই দুখন দেশৰ জনসাধাৰণৰ ঘৰুৱা সংগ্ৰাম নহয়—তাতকৈ আৰু বেছি ডাঙৰ কথা। চীন যদি এই সংগ্ৰামত জয়ী হয়, তেন্তে তাৰ অৰ্থ হ'ব পৃথিৱীত আৰু এটি বিৰাট ৰাষ্ট্ৰৰ আবিৰ্ভাৱ। বৰ্তমান যি তথাকথিত শক্তিসাম্য প্ৰতিষ্ঠিত হৈছে, ইয়াৰ ফলত তাৰ বহুতখিনি ব্যাতিক্ৰম ঘটিব, আৰু তাৰেই ফলত আকৌ চীনত এতিয়া সাম্ৰাজ্যবাদীসকলে যি শোষণ চলাইছে সেইটোও নিজৰ পৰাই বন্ধ হৈ যাব। তেনেকৈ আকৌ ভাৰতবৰ্ষই যদি সংগ্ৰামত জয়লাভ কৰে, তেনেহলে জগতত এখন ডাঙৰ ৰাষ্ট্ৰৰ সৃষ্টি হব, অন্ততঃ সেই ডাঙৰ হোৱাৰ সম্ভাৱনা তাৰ মাজত নিহিত আছে। তাৰ উপৰিও তাৰ পোণপটীয়া ফল লগে লগেই দেখা যাব সেইটো হৈছে বৃটিছ সাম্ৰাজ্যৰ অৱসান।

যোৱা দহ বছৰ চীনৰ ভাগ্যত বহুতো ভাগ্য বিপৰ্যয় ঘটিছে। কুওমিণ্টাঙ আৰু কমিউনিষ্টসকলৰ মাজত এটা মিত্ৰতা স্থাপিত হৈছিল, সেইটো ভাঙি গৈছে, তাৰ পিছৰপৰাই চীনৰ টুচুন আৰু সেই ধৰণৰ অন্যান্য দস্যু চৰ্দাৰ বোৰৰ উপ-দ্ৰৱ চলিছে, বহুতো বিদেশী শক্তি ইয়াৰ পিছত আছে, চীনত বিশৃঙ্খলা লাগি থাকিলেই তেওঁলোকৰ লাভ। যোৱা দুবছৰ ধৰি জাপানীসকলে প্ৰকৃতপক্ষে আক্ৰমণ চলাইছে, তাৰ কেইখনমান প্ৰদেশ দখল কৰিও নিছে। এই অঘোষিত যুদ্ধ এতিয়াও চলি আছে। ইতিমধ্যে আকৌ চীনৰ ভিতৰত থকা বহু অঞ্চল কমিউনিষ্ট হৈ গৈছে। সেইবোৰত এক প্ৰকাৰ চোভিয়েট শাসন তন্ত্ৰই প্ৰতিষ্ঠিত হৈছে।

ভাৰতবৰ্ষত যোৱা চৈধ্য বছৰে বহুত ঘটনাই ঘটি গৈছে, এটি উগ্ৰ অথচ অহিংস সংগ্ৰামৰ আবিৰ্ভাৱ হৈছে। যুদ্ধৰ অতি অলপ দিনৰ পিছত শাসন ব্যৱস্থাৰ এইবাৰ ডাঙৰ ডাঙৰ সংস্কাৰ কৰি দিয়া হব এই আশাত যেতিয়া সকলোৱে উল্লাসিত এনে সময়তে পঞ্জাৱত সামৰিক আইন জাৰি হল, জালিয়ানাবাগৰ ভয়াবহ হত্যা-কাণ্ড অনুষ্ঠিত হ'ল। ভাৰতৰ জনসাধাৰণ এই কথাত ক্ৰোধান্বিত হৈ উঠিল, তুৰস্ক আৰু খলিফাৰ প্ৰতি বৃটিছসকলৰ আচৰণ দেখি মুছলমানসকলো উত্তেজিত হৈ পৰিল। ইয়াৰ ফলত আহিল অসহযোগ আন্দোলন। ১৯২০ পৰা ১৯২২ চনলৈকে এই আন্দোলনচলিল, ইয়াৰ নেতা আছিল গান্ধীজী। প্ৰকৃততে তেঁৱেই ১৯২০ চনৰ পৰাই আজিলৈকে গান্ধীজীয়েই ভাৰতৰ জাতীয় সংগ্ৰামৰ অবিসম্বাদী

নেতা হৈ আছে। ভাৰতবৰ্ষৰ এইটো হৈছে গান্ধীযুগ। তেওঁ যি অহিংস বিদ্ৰোহৰ নীতি প্ৰৱৰ্তন কৰিছে তাৰ অভিনৱত্ব আৰু শক্তি দেখি গোটেই পৃথিৱীয়ে উৎসুক চকুৰে চাই আছে। কিছুমান দিন শান্ত কাৰ্যকলাপ আৰু প্ৰস্তুতি পিছত ১৯৩০ চনত আকৌ স্বাধীনতাৰ সংগ্ৰাম আৰম্ভ কৰা হ'ল। এইবাৰ কংগ্ৰেছে স্পষ্টভাৱেই পূৰ্ণ স্বাধীনতা অৰ্জনকেই তাৰ লক্ষ্য বুলি ঘোষণা কৰিছে। তেতিয়াৰপৰাই দেশত আইন-অমান্য আন্দোলন চলিছে, জেলবোৰ মানুহেৰে ভৰি গ'ল, আৰু বহুতো ঘটনা ঘটিছে, ইয়াৰ কথা তুমিও জানা। ইতিমধ্যে বৃটিছসকলে যি নীতি অৱলম্বন কৰিছে সেইটো হৈছে দুই এটা সাধাৰণ সংস্কাৰৰ আয়োজন কৰি সম্ভৱ হলে দুই চাৰিজন লোকক হাত কৰি লোৱা, আৰু জাতীয় আন্দোলনটোকেই একেবাৰে পিহি গুৰি কৰি দিয়া।

ব্ৰহ্মদেশত ১৯৩১ চনত ভোকাতুৰ খেতিয়কসকলে এটি প্ৰকাণ্ড বিদ্ৰোহ কৰিছিল। সেই বিদ্ৰোহ অতি নিষ্ঠুৰভাৱে দমন কৰা হৈছে। জাভা আৰু ইষ্ট ইণ্ডিজতো বিদ্ৰোহ হৈছিল। শ্যামতো গণ্ডগোল চলিছিল, শাসন ব্যৱস্থাৰ অলপ পৰিৱৰ্তন হৈছে, ৰজাৰ ক্ষমতা বহুখিনি সীমাবদ্ধ কৰি দিয়া হৈছে। ফৰাচী ইন্দোচীনতো জাতীয় আন্দোলন জাগি উঠিছে।

এতেকে প্ৰাচ্য জগতৰ সকলোতে জাতীয়তাবাদে বিকাশ লাভৰ কাৰণে বাট বিচাৰি ফুৰিছে; কোনো কোনো ঠাইত আকৌ অলপমান কমিউনিজিম ইয়াৰ লগত আহি মিহলি হৈছে। এই দুয়োটা মতবাদেই সাম্ৰাজ্যবাদ বিৰোধী। ইয়াৰ বাহিৰে কিন্তু এই দুটাৰ ভিতৰত কতো মিল নাই। চোভিয়েট ৰুচিয়াই নিজৰ ভিতৰতো উদাৰ আচৰণ দেখুৱাইছে, ইয়াৰ ফলত আজি বহুতো দেশেই তেওঁলোকৰ বন্ধু হৈ পৰিছে; আনকি বহুতো অ-কমিউনিষ্ট দেশো।

যোৱা কেই বছৰত পৃথিৱীৰ আৰু এটি ডাঙৰ ঘটনা ঘটিছে, সেইটো হৈছে নাৰীসকলৰ মুক্তি—আইন, সমাজ আৰু প্ৰাচীন ৰীতি-নীতিৰ বহুতো বান্ধোনেৰে তেওঁলোক বান্ধা আছিল। সেই নাগপাশ এতিয়া খুলি পৰিছে। পাশ্চাত্য জগতত এই বন্ধনমুক্তিৰ কাম বহুখিনি আগুৱাই গৈছিল, যুদ্ধৰ হেচাত।

কিন্তু তুৰস্কৰপৰা আৰম্ভ কৰি ভাৰতবৰ্ষ, চীন প্ৰাচ্য জগতৰ সকলোতেই নাৰীসকল এতিয়া জাগি উঠিছে; জাতীয় আৰু সামাজিক সংস্কাৰৰ কামত এটি বিৰাট অংশ তেওঁলোকে গ্ৰহণ কৰিছে।

যি যুগত আমি বাস কৰিছোঁ, এয়ে হৈছে তাৰ পৰিচয়। প্ৰতিদিনে আমি বাতৰি পাইছো, পৃথিৱীত কত কি পৰিৱৰ্তন হৈছে, ডাঙৰ ডাঙৰ ঘটনা ঘটিছে, জাতিসমূহৰ ভিতৰত সংঘৰ্ষ লাগিছে। পুঁজিবাদী আৰু সাম্যবাদী আৰু ফেচিজিম আৰু প্ৰজাতন্ত্ৰৰ মাজত বিৰোধ ঘটিছে, মানুহৰ দৰিদ্ৰতা বাঢ়িছে, সৰ্বহাৰাসকলৰ দৈন্য আৰু বাঢ়িছে; আৰু সকলোৰে ওপৰত পৰিছে যুদ্ধৰ কংকাল ছায়া, সেই যুদ্ধ দিনে দিনে কাষ চাপি আহিছে।

ইতিহাসৰ এইটো এটা বৰ চাঞ্চল্যকৰ যুগ, এই যুগত জীয়াই থকাৰ, ইয়াৰ জীৱন যাত্ৰাত অংশ গ্ৰহণ কৰাৰ কথাত এটি আনন্দ আছে সেই অংশ গ্ৰহণ মানে যদি দেৰাদূনৰ জেলত নিঃসঙ্গ জীৱন যাপন কৰা হয় তথাপিও।

১৫৭

প্ৰজাতন্ত্ৰৰ কাৰণে আয়াৰলেণ্ডৰ সংগ্ৰাম

২৮ এপ্ৰিল, ১৯৩৩

যোৱা কেইবছৰ যিবোৰ ডাঙৰ ডাঙৰ ঘটনা ঘটিছে এইবাৰ আমি সেইবোৰৰ বিষয়ে অলপ বিশদ আলোচনা কৰিম। আয়াৰলেণ্ডক লৈয়েই মই কথা আৰম্ভ কৰিছো। পৃথিৱীৰ ইতিহাস আৰু পৃথিৱীৰ জীৱন শক্তিৰ ফালৰপৰা ইয়ুৰোপৰ সুদূৰ পশ্চিম প্ৰান্তৰ এই সৰু দেশখনৰ বৰ্তমান কোনো বিশেষ গুৰুত্ব নাই। কিন্তু আয়াৰলেণ্ড বীৰৰ দেশ, অদম্য তাৰ মন, বৃটিছ সাম্ৰাজ্যই তেওঁলোকৰ সকলো-খিনি শক্তি প্ৰয়োগ কৰিও ইয়াৰ মনৰ জোৰ ভাঙিবপৰা নাই—ভয় দেখুৱাই ইয়াক বশ কৰিব পৰা নাই।

আয়াৰলেণ্ড সম্বন্ধে মোৰ শেষ চিঠিত তোমাক মই কৈছোঁ, মহাযুদ্ধৰ ঠিক আগতে বৃটিছ পাৰ্লিয়ামেণ্টে এখন 'হোমৰুল' বিল প্ৰণয়ন কৰিছিল। আলষ্টাৰৰ প্ৰটেষ্টাণ্ট নেতাসকলে আৰু ইংলেণ্ডৰ ৰক্ষণশীলদল ইয়াত ক্ষুব্ধ হ'ল, এই বিলৰ বিৰুদ্ধে ৰীতিমতে এটা বিদ্ৰোহৰ সূচনা কৰা হল। তাকে দেখি তেতিয়া দক্ষিণ আয়াৰলেণ্ডৰ অধিবাসীসকলেও তেওঁলোকৰ 'জাতীয় স্বেচ্ছা সৈনিক বাহিনী' গঢ়ি তুলিলে। প্ৰয়োজন হলে তেওঁলোকে আলষ্টাৰৰ লগত যুদ্ধ কৰিব। অৱস্থা দেখি মনত হল, আয়াৰলেণ্ডত গৃহযুদ্ধ অনিবাৰ্য। কিন্তু ঠিক সেই সময়তেই বিশ্ব-যুদ্ধ আৰম্ভ হ'ল; সকলো মানুহৰ সকলোখিনি মনযোগ গৈ পৰিল বেলজিয়ামৰ আৰু উত্তৰ ফ্ৰান্সৰ ৰণক্ষেত্ৰৰ ওপৰত। পাৰ্লিয়ামেণ্টত যিসকল আইৰিচ নেতা আছিল তেওঁলোকে যুদ্ধত বৃটেনক সহায় কৰিব বুলি ঘোষণা কৰিলে, কিন্তু দেশৰ জনসাধাৰণ তেতিয়া এই বিষয়ে উদাসীন, তেওঁলোকৰপৰা কোনো সঁহাৰিকে পোৱা নগল। ইতিমধ্যে আলষ্টাৰৰ বিদ্ৰোহীসকলে বৃটিছ চৰকাৰৰ ডাঙৰ পদত অধিষ্ঠিত হলহি। তাৰ ফলত আয়াৰলেণ্ডৰ জনসাধাৰণ আৰু বেছি ক্ষুব্ধ হৈ পৰিল।

আয়াৰলেণ্ডৰ অসন্তোষ ক্ৰমে বাঢ়ি আহিল, সকলোৱেই ভাবিব ধৰিলে এইখন ইংলেণ্ডৰহে যুদ্ধ; ইয়াত তেওঁলোকক বলি দিয়া কোনো মতেই নচলিব। ইয়াৰ ভিতৰতে প্ৰস্তাব কৰা হল, ইংলেণ্ডৰ দৰে আয়াৰলেণ্ডতো বাধ্যতামূলক সৈনিক বৃত্তি প্ৰবৰ্তিত কৰা হব, দেশৰ সকলো সমৰ্থবান ডেকাকেই জোৰ কৰি সৈন্য বাহিনীত ভৰ্তি কৰা হব। শুনি দেশৰ সকলো লোকেই খংগুই জলি পকি

উঠিল ; স্পষ্ট ভাষাৰে ইয়াৰ প্ৰতিবাদ জনালে। প্ৰয়োজন হলে যুদ্ধ কৰিও এই কাৰ্য্যত তেওঁলোকে বাধা দিব, তাৰ কাৰণেও আয়াৰলেণ্ড প্ৰস্তুত হৈ উঠিল।

১৯১৬ চনৰ ইষ্টাৰ পৰ্ব্বৰ সপ্তাহত ডাবলিন চহৰত বিদ্ৰোহ হল, এটি আইৰিচ প্ৰজাতন্ত্ৰ স্থাপন কৰা হ'ল। কেইদিনমান যুদ্ধ কৰাৰ পিছতেই বৃটিছ সৈন্যৰ হাতত ধ্বংস হৈ গ'ল। তাৰ পিছত সামৰিক আদালত বহিল, আৰু এই সংক্ষিপ্ত বিদ্ৰোহত যোগ দিয়াৰ অপৰাধত আয়াৰলেণ্ডৰ সকলোতকৈ বীৰ আৰু সকলোতকৈ গুণী ডেকাসকলৰ কেইজনমানক গুলী কৰি মাৰা হ'ল। এই বিদ্ৰোহ 'ইষ্টাৰ বিদ্ৰোহ' নামে জনাজাত। বৃটিছ ৰাজত্বৰ অক্লান্ত ষটোৱাৰ চেষ্টা ইয়াক ঠিক বুলিব নোৱাৰি। এইটো কেৱল আছিল এটি বীৰত্বৰ প্ৰকাশ, জগতক তেওঁলোকে হাতে কলমে দেখুৱাই দিলে আয়াৰলেণ্ডে তেতিয়াও প্ৰজাতন্ত্ৰৰ সপোন দেখিছে। স্বইচ্ছাৰে বৃটিছ প্ৰভুত্বৰ কাষত শিৰ নমাবলৈ আয়াৰলেণ্ডে তেতিয়াও ৰাজি নহয়। বিদ্ৰোহ যিসকলে কৰিছিল সেই বীৰ ডেকাসকলে জানি-শুনিও নিজৰ জীৱন বলি দিবলৈ গৈছিল, কেৱল জগতৰ আগত এই কথাটোকেই খোলাখুলিভাৱে ঘোষণা কৰিবলৈ. তেওঁলোকে জানিছিল সেইবোৰ তেওঁলোক হাৰিব, তথাপি তেওঁলোকৰ মনত আশা আছিল তেওঁলোকৰ এই আত্মবলিয়ে ভৱিষ্যতত এদিন ফল দিব—দেশক স্বাধীনতাৰ পথত আগুৱাই লৈ যাব।

এই বিদ্ৰোহৰ সম্বন্ধতেই আৰু এজন আইৰিচ লোকে বৃটিচৰ হাতত ধৰা পৰিল, এওঁ জাৰ্ম্মাণৰপৰা আয়াৰলেণ্ডলৈ অস্ত্ৰ-শস্ত্ৰ আমদানি কৰাৰ চেষ্টা কৰিছিল। এওঁৰ নাম চাৰ ৰোজাৰ কেচমেণ্ট, বহুকাল ধৰি এওঁ বৃটিছৰ ৰাষ্ট্ৰদূত বিভাগত চাকৰি কৰিছিল। লণ্ডনত এওঁৰ বিচাৰ হল, বিচাৰত ৰায় হ'ল মৃত্যুদণ্ড। আদালতত আচামীৰ কাঠগৰাতত থিয় হৈ কেচমেণ্টে এখন লিখিত জবানবন্দী পাঠ কৰিলে, তেওঁৰ কথা আচৰিতৰূপে উন্মাদনাৰে ভৰা, আৰু ভাষাকুশলতাৰে পৰিপূৰ্ণ, আইৰিচসকলৰ মনত দেশপ্ৰেমৰ কি উদ্দীপনা জাগিছিল তাৰ এটি জলন্ত উদাহৰণ এই লিখিত তেওঁ দি গৈছে।

ইষ্টাৰ বিদ্ৰোহ বিফল হল, কিন্তু সেই বিফলতাই হল তাৰ জয়স্বৰূপ। ইয়াৰ পিছতে বৃটিছ চৰকাৰে যি নিদাৰুণ কঠোৰ নীতি আৰম্ভ কৰিলে তাৰ ফলত আৰু বিশেষকৈ বিদ্ৰোহৰ সেই যুৱক নেতাসকলক গুলীয়াই মাৰাৰ ফলত, আয়াৰলেণ্ডৰ জনসাধাৰণ অতি বিচলিত হৈ পৰিল। ওপৰে ওপৰে ধাৰণা হল আয়াৰলেণ্ড অতি শান্তভাৱে আছে, তলে তলে কিন্তু ক্ৰোধাগ্নি উমি উমি জলিব ধৰিলে, অলপ দিনৰ ভিতৰতে সেই অগ্নিয়ে বাহিৰত আত্ম প্ৰকাশ কৰিলে 'চিনফেইন'ৰ ৰূপ লৈ। চিনফেইনৰ মতাদৰ্শ অতি দ্ৰুতগতিত সকলোতে প্ৰচাৰিত হল। আয়াৰলেণ্ড সম্বন্ধে মোৰ শেষ চিঠিত মই তোমাক এই 'চিনফেইন'ৰ কথা কৈছোঁ। প্ৰথম ভাগত এই আন্দোলন বিমান সফল হোৱা নাছিল, এইবাৰ ই একেবাৰে দাবানলৰ দৰে জলি উঠিল।

মহাযুদ্ধৰ শেষ হোৱাৰ পিছতে বৃটিছ দ্বীপপুঞ্জৰ সকলো ঠাইতে লণ্ডনৰ পাৰ্লিয়া-মেণ্টৰ কাৰণে সভ্য নিৰ্ব্বাচনৰ চৌ উঠিল। আয়াৰলেণ্ডত 'চিনফেইন' দলে বেছি ভাগ আসন দখল কৰিলে, পুৰণি কালৰ জাতীয়তাবাদী সকল হেচা খাই পাঁতৰি

পল। এওঁলোক বৃটিছসকলৰ লগত কিছু পৰিমাণে সহযোগিতা কৰি চলাৰ পক্ষপাতী আছিল। কিন্তু চিনফেইন দলৰ নেতাসকল বৃটিছ পালিয়ামেণ্টৰ সভ্য নিৰ্বাচিত হল, তাত গৈ বহাৰ কাৰণে নহয়—তেওঁলোকৰ নীতি আছিল একেবাৰে ওলোটা। তেওঁলোক অসহযোগ আৰু বৰ্জন নীতিত বিশ্বাসী। এতেকে এই নিৰ্বাচনত 'চিনফেইন' পন্থীসকল লণ্ডনৰ পালিয়ামেণ্টত গৈ হাজিৰ নহল, তাৰ সলনি ১৯১৮ চনত ডাবলিন চহৰত তেওঁলোকে তেওঁলোকৰ নিজৰ প্ৰজাতন্ত্ৰী আইন সভা প্ৰতিষ্ঠান কৰিলে; এওঁলোকে ঘোষণা কৰিলে আয়াৰলেণ্ডত প্ৰজাতন্ত্ৰ স্থাপিত হৈছে, এই আইন-সভাৰ এওঁলোকে নাম দিলে 'ডেইল আয়াৰিয়ান'। নাৰত এটি গোটেই আয়াৰলেণ্ডৰেই প্ৰতিনিধি সভা হল; আলষ্টাৰক সাঙুৰি লৈ। আলষ্টাৰ অৱশ্যে স্বাভাৱিকতেই ইয়াৰপৰা আঁতৰি থাকিল। কেথলিক আয়াৰলেণ্ডৰ প্ৰতি তেওঁলোকৰ অকণো সম্প্ৰীতি নাছিল। ডেইল আয়াৰিয়ানে ডিভেলেৰাক প্ৰেচিডেণ্ট আৰু গ্ৰিফিথচক ভাইচ প্ৰেচিডেণ্ট নিৰ্বাচিত কৰিলে। নতুন প্ৰজাতন্ত্ৰৰ এই দুজন কৰ্ণধাৰেই তেতিয়া বৃটিছৰ জেলখানাত বন্দী আছিল।

তাৰ পিছত আৰম্ভ হ'ল এখন আচৰিত সংগ্ৰাম। আয়াৰলেণ্ডৰ মাজত ইয়াৰ আগতেও বহুবাৰ যুদ্ধ হৈছে, কিন্তু এনে অভূতপূৰ্ব যুদ্ধ আৰু কেতিয়াও হোৱা নাই, ই একেবাৰে নতুন বস্তু। এমুঠি মাথোন ডেকা-গাভৰু, তেওঁলোকৰ পিছত গোটেই দেশৰ শুভইচ্ছা, নিজৰ জোৰতে থিয় হৈ তেওঁলোকে যুঁজিবলৈ লাগিল,-- অপৰিসীম বিপদ বিঘিনি তেওঁলোকৰ চাৰিওফালে, এটি বিৰাট সুসংযত সাম্ৰাজ্যৰ গোটেই শক্তিৰ বিৰুদ্ধে তেওঁলোকৰ যুদ্ধ। 'চিনফেইন' সকলৰ যুদ্ধৰ নীতি আছিল একৰকমৰ অসহযোগ; তাৰ লগে লগে হিংসাত্মক কাৰ্যকলাপৰো যোগ আছিল। এওঁলোকে প্ৰচাৰ কৰিব ধৰিলে, ইংৰাজসকলৰ সকলো প্ৰতিষ্ঠানৰ সংস্ৰৱ বৰ্জন কৰক, য'তে পাৰিলে তাতেই নিজৰ স্বকীয়া প্ৰতিষ্ঠান ঠিয় কৰিলে, যেনে সাধাৰণ আদালত উঠাই দি তেওঁলোকে তাৰ ঠাইত তেওঁলোকৰ নিজস্ব আদালত বহুৱালে। গাও অঞ্চলত এওঁলোকে গৰিলা যুদ্ধ চলাই পুলিচৰ চকীবোৰ নষ্ট কৰি দিব ধৰিলে। 'চিন-ফেইন' বন্দীসকলেও জেলখানাত অনশন আৰম্ভ কৰি বৃটিছ চৰকাৰক অতিষ্ঠ কৰি তুলিলে। এই অনশনৰ ইতিহাসত সকলোতকৈ বিখ্যাত ঘটনা হল কৰ্ক চহৰৰ লৰ্ড মেয়ৰ টেৰেন্স মেকচুইনীৰ অনশন, গোটেই আয়াৰলেণ্ডতে যেন বিজুলী সঞ্চাৰ কৰি গ'ল এই ঘটনাটিয়ে। মেকচুইনীক যেতিয়া জেলত দিয়া হ'ল, তেওঁ ক'লে, "জীয়াই হওক বা মৰিয়েই হওক জেল-খানাৰপৰা মই বাহিৰ হৈ আহিমেই।" তেওঁ খোৱা বন্ধ কৰি দিলে। পয়সত্তৰ দিন উপবাসৰ পিছত তেওঁৰ মৃতদেহ জেলখানাৰ বাহিৰ কৰি উলিয়াই অনা হ'ল।

চিনফেইন বিদ্ৰোহৰ অন্যতম প্ৰধান উদ্যোক্তা আছিল মাইকেল কলিনচ্। চিনফেইনসকলৰ ৰণকৌশলত আয়াৰলেণ্ডত বৃটিছ চৰকাৰৰ বেছিভাগ কাৰকাজেই অচল হৈ পৰিল, গাওঁ অঞ্চলবোৰতো তাৰ প্ৰায় অস্তিত্বই নাথাকিল। ক্ৰমে দুয়োপক্ষই হিংসা বৃত্তিত সুনিপুণ হৈ উঠিল, প্ৰায় পৰস্পৰক আক্ৰমণ কৰি প্ৰতিশোধ

ল'বলৈ ধৰিলে। আয়াৰলেণ্ডলৈ পঠাবৰ কাৰণে এটি বিশেষ ধৰণৰ বৃটিছ সৈন্য-বাহিনী যুগুত কৰা হ'ল। ইয়াৰ লোকসকলক বৰ বেছি হাৰত বেতন দিয়া হৈছিল, যুদ্ধকালৰ সৈন্যদলবোৰৰপৰা যিবোৰ সৈন্যক সম্প্ৰতি এৰি দিয়া হৈছে, তেওঁলোকৰ মাজৰপৰা বাছি বাছি দুঃসাহসিক আৰু হিংস্ৰ প্ৰকৃতিৰ লোক-সকলেই এই বাহিনীত ভৰ্তি কৰা হৈছিল। এই বাহিনীৰ সৈন্যসকলৰ সাজ-পোছাকৰ ৰং আছিল ক'লা আৰু বাদামী, সেই কাৰণেই এই বাহিনীটিৰ নাম হল 'ব্লেক এণ্ড টেন'। এই ব্লেক এণ্ড টেন সকলে দেশত এটি হত্যাকাণ্ডৰ অভিযান আৰম্ভ কৰি দিলে। বিচনাত শুই থকা লোককো এওঁলোকে গুলী কৰি মাৰে। এওঁলোকে আশা কৰিছিল, এনেদৰে বিভীষিকাৰ সৃষ্টি কৰিয়েই এওঁলোকে চিনফেইন দলক দমাব পাৰিব। চিনফেইনসকলে কিন্তু তথাপিও হাৰ মানিবলৈ ৰাজি নহল, সমানে সমানে গৰিলা যুদ্ধ চলাই যাব ধৰিলে। 'ব্লেক এণ্ড টেন'ৰ লোকসকলে তেতিয়া একেবাৰে ভয়ঙ্কৰ প্ৰতিশোধ ল'বলৈ আৰম্ভ কৰিলে, গাঁৱৰ উপৰি গাঁৱ তেওঁলোকে পুৰি পেলাব ধৰিলে, বহুত চহৰকো ঘৰবাৰী জ্বলাই দিলে। গোটেই আয়াৰলেণ্ড দেশখনেই এখন বিৰাট ৰণক্ষেত্ৰত পৰিণত হ'ল তাত দুয়োপক্ষই তেওঁলোকৰ ভিতৰত যেন মাখিব ধৰিলে কোনে কিমান হিংসা আৰু ধ্বংসৰ গৌৰৱ দেখুৱাব পাৰে। ইয়াৰ এটাৰ পিছত আছে— এটি বৃহৎ সাম্ৰাজ্যৰ গোটেই সুসংবদ্ধ শক্তি, আনটোৰ পিছত সম্বল বুলিবলৈ মুষ্টিমেয় কেইজনমান লোকৰ দৃঢ় সংকল্প। ১৯১৯ চনৰ পৰা ১৯২১ চনৰ অক্টোবৰ মাহৰ সম্পূৰ্ণ দুটা বছৰ ধৰি এই ইঙ্গ আইৰিচ যুদ্ধ চলিল।

ইতিমধ্যে ১৯২০ চনত বৃটিছ চৰকাৰে লৰালৰিকৈ নতুন এখন 'হোমৰুল' বিল প্ৰণয়ন কৰি তুলিলে। মহাযুদ্ধৰ ঠিক আগতে যি আইনখন যুগুত কৰা হৈছিল, সেইটোক উপলক্ষ্য কৰিয়েই আলষ্টাৰৰ বিদ্ৰোহৰ উপক্ৰম হৈছিল, সেইটোক নিঃশব্দে পৰিত্যাগ কৰা হ'ল। নতুন আইনখনত আয়াৰলেণ্ডক আলষ্টাৰ বা উত্তৰ আয়াৰলেণ্ড আৰু দেশৰ বাকী অংশ এই দুই ভাগত বিভক্ত কৰা হ'ল। এই দুই অংশত বেলেগে বেলেগে দুখন পাৰ্লিয়ামেণ্ট বহিব।

আয়াৰলেণ্ড এনেয়ে সৰু দেশ তাৰ উপৰিও আকৌ ই ভাগ হৈ দুটি অংশ হ'ল; সৰু এটি দ্বীপৰ দুটি সৰু অঞ্চল। উত্তৰ অঞ্চলৰ কাৰণে আলষ্টাৰত নতুন পাৰ্লিয়ামেণ্ট বহুৱা হল, কিন্তু দক্ষিণত অৰ্থাৎ আয়াৰলেণ্ডৰ বাকী অঞ্চলবিলাকত এই হমৰুল পিচৰকালে কোনেও কেৰাহিকৈয়ে নাচালে। সেই ঠাইৰ লোকসকল তেতিয়া চিনফেইন বিদ্ৰোহ চলোৱাতে ব্যস্ত।

১৯২১ চনৰ অক্টোবৰ মাহত বৃটেনৰ প্ৰধানমন্ত্ৰী লয়েড জৰ্জে চিনফেইনৰ নেতাসকলৰ ওচৰত এটি যুদ্ধ বিৰতিৰ আবেদন পঠালে, কলে, দুয়োপক্ষৰ মাজত এটি বুজাপৰা হব পাৰেনে নোৱাৰে তাকে আলোচনা কৰি চোৱা যাওক। নেতা-সকল এই প্ৰস্তাৱত ৰাজি হ'ল। বৃটেনৰ সহায় সম্পদ প্ৰচুৰ, শেষত আয়াৰলেণ্ডৰ এই চিনফেইন আন্দোলনক সম্পূৰ্ণভাৱে ধ্বংস কৰি দিবও তেওঁলোকে পাৰিলেহেঁতেন, তাত সন্দেহ নাই, গোটেই দেশখনকে এখন মৰুভূমিত পৰিণত কৰাৰ শক্তি তেওঁ-লোকৰ আছিল। কিন্তু আয়াৰলেণ্ডত তেওঁলোকে যি নীতিৰ অৱলম্বন কৰিছিল

তাৰ কাৰণে আমেৰিকা আৰু আন আন দেশৰ নেতাসকল তেওঁলোকৰ ওপৰত অত্যন্ত বিৰক্ত হৈ উঠিছিল। যুদ্ধ চলোৱাৰ সাহায্য স্বৰূপে আমেৰিকাত বাসকৰা আইৰিচসকলৰপৰা, আনকি বৃটিছ ডমিনিয়নবোৰৰপৰাও পানীৰ সোঁতৰদৰে টকাকড়ি আয়াৰলেণ্ডলৈ আহিছিল। ইয়ালৈ আকৌ চিনফেইনসকলো তেতিয়া শান্ত হৈ পৰিছিল—তেওঁলোকে বহুত কষ্ট সহ্য কৰিবলগীয়া হৈছিল।

লণ্ডনত ইংৰাজ আৰু আইৰিচ প্ৰতিনিধিসকলৰ বৈঠক বহিল, দুমাহ ধৰি আলোচনা আৰু তৰ্ক-বিতৰ্কৰ পিছত এখন অস্থায়ী চুক্তিপত্ৰ ৰচনা কৰা হ'ল; ১৯২১ চনৰ ডিচেম্বৰ মাহত এওঁলোকে এই চুক্তিপত্ৰত স্বাক্ষৰ কৰিলে। এই সন্ধিপত্ৰত আইৰিচ প্ৰজাতন্ত্ৰক স্বীকাৰ কৰা নহ'ল, কিন্তু দুই এটা বিষয়ৰ বাহিৰে অন্যান্য বিষয়ত আয়াৰলেণ্ডক ইয়াৰবাবে বহুখিনি স্বাধীনতা দি দিয়া হ'ল; তেতিয়ালৈকে কোনো ডমিনিয়নে ইমানখিনি স্বাধীনতা পোৱা নাছিল। তথাপি কিন্তু আইৰিচৰ প্ৰতিনিধিসকলে এই সন্ধি মানি লব বিচৰা নাছিল। ইয়াক মানি লবলৈ তেওঁলোক বাজি হ'ল যেতিয়া ইংলেণ্ডে ভয় দেখুৱালে যে তেতিয়াও মান্তি নহলে অনতিপলমে তেওঁলোকে আয়াৰলেণ্ডৰ লগত প্ৰচণ্ড যুদ্ধৰ অৱতাৰণা কৰিব।

এই সন্ধি লৈ আয়াৰলেণ্ডত তুমুল গণ্ডগোলৰ সৃষ্টি হ'ল, কিছুমানে ইয়াৰ পক্ষ হ'ল—কিছুমানে ইয়াত ভয়ঙ্কৰ আপত্তি তুলিলে। এই প্ৰশ্নটি লৈ মতভেদ হৈ চিনফেইন দলো দুইভাগ হৈ গ'ল। অৱশেষত ডেইল আয়ৰিয়ানে এই সন্ধিক স্বীকাৰ কৰি ললে। আইৰিচ ফ্ৰি ষ্টেটৰ সৃষ্টি হ'ল—আয়াৰলেণ্ডৰ চৰকাৰী ভাষাত ইয়াৰ নাম হ'ল 'সাওৰষ্টাট আয়ৰিয়ান'। কিন্তু ইয়াৰ লগে লগেই চিনফেইন দলৰ দুই ভাগৰ ভিতৰত পুৰণি দিনৰ সেই সহকৰ্মীসকলৰ ভিতৰতেই গৃহযুদ্ধৰ আৰম্ভ হ'ল। ডেইল আয়ৰিয়ানৰ প্ৰেচিডেণ্ট ডি ভেলেৰা আৰু বহুতেই ইংলেণ্ডৰ লগত এই সন্ধিৰ বিৰোধী আছিল, গ্ৰিফিথচ্ আৰু মাইকেল কলিনচ্ আদি আছিল ইয়াৰ পক্ষে। বহু মাহ ধৰি দেশত গৃহযুদ্ধ চলিল, সন্ধি আৰু ফ্ৰি ষ্টেটৰ যিসকল পক্ষপাতী, বিপক্ষ দলক পৰাজিত কৰিবৰ কাৰণে বৃটিছ সৈন্যই তেওঁলোকক সাহায্য কৰিব ধৰিলে। মাইকেল কলিনচ প্ৰজাতন্ত্ৰাসকলৰ গুলীত নিহত হল, তেনেকৈ আকৌ প্ৰজাতন্ত্ৰীসকলৰ বহুতো ফ্ৰি ষ্টেট দেশৰ লোকৰ গুলীত মৰা পৰিল। প্ৰজাতন্ত্ৰী দলৰ লোকবে জেলখোৱা ভৰি পৰিল। স্বাধীনতাৰ কাৰণে আয়াৰলেণ্ড চিৰকাল বীৰৰ দৰে সংগ্ৰাম কৰি আহিছে, এই গৃহযুদ্ধ, পৰস্পৰ বিদ্বেষ এই সংগ্ৰামৰ অতি ভয়ঙ্কৰ শোকাবহ পৰিণতি। দেখা গ'ল ইংৰাজৰ অস্ত্ৰ য'ত ব্যৰ্থ হৈছিল, তেওঁলোকৰ কূটনীতি তাত জয়ী হ'ল, ইয়াত আইৰিচ লোকসকল নিজৰ ভিতৰতে কটাকটি কৰি মৰিছে, ইংলেণ্ডে তেওঁলোকৰ একপক্ষক নীৰৱে অলপ সহায় কৰিছে; আৰু সাধাৰণতে বেছ নিস্পৃহ দৃষ্টিৰে সেই খেমালি চাইছে। এই নতুন পৰিস্থিতিত তেওঁলোকৰ আনন্দৰ সীমা নোহোৱা হ'ল।

গৃহযুদ্ধ ক্ৰমে কমি আহিল। কিন্তু প্ৰজাতন্ত্ৰীসকল তেতিয়াও ফ্ৰি ষ্টেটক মানি লবলৈ ৰাজি নহয়। আনকি প্ৰজাতন্ত্ৰী যিসকল ডেইলৰ ফ্ৰি ষ্টেটৰ পালিয়ামেণ্টৰ সভা নিৰ্বাচিত হৈছিল তেওঁলোকেও ডেইলৰ সভাত উপস্থিত হবলৈ অমান্তি হল, তাৰ কাৰণ হ'ল আনুগত্যৰ শপতত ৰজাৰ নামৰ উল্লেখ আছে, এতেকে সেই শপত গ্ৰহণ কৰিবলৈ তেওঁলোকৰ আপত্তি। এতেকে ডি ভেলেৰা আৰু তেওঁৰ দলে

'ভেইলৰপৰা আঁতৰি থাকিল, আৰু আন দলটি অৰ্থাৎ ফ্ৰি ষ্টেট দলে প্ৰজাতন্ত্ৰী-সকলক ধ্বংস কৰিবৰ কাৰণে নানাধৰণে চেষ্টা চক্ৰান্ত কৰিব ধৰিলে, এওঁলোকৰ নেতা আছিল কছগ্ৰেভ, ফ্ৰি ষ্টেটৰ প্ৰেচিডেণ্ট।

আইৰিচ ফ্ৰি ষ্টেট প্ৰতিষ্ঠিত হোৱাৰ ফলত বৃটেনৰ সাম্ৰাজ্যনীতিৰ কিছুমান অতি সুদূৰপ্ৰসাৰী পৰিবৰ্ত্তনৰ সূত্ৰপাত হ'ল। আইৰিচ সন্ধিত আয়াৰলেণ্ডক যিমান-খিনি স্বাধীন অধিকাৰ দিয়া হৈছিল, সেই সময়ত আন কোনো ডমিনিয়নে আইনত ইমানখিনি স্বাধীনতা পোৱা নাছিল। আয়াৰলেণ্ডে এই উপকল্প অধিকাৰ পোৱাৰ লগে লগেই আন আন ডমিনিয়নবোৰেও স্বভাৱতেই এইবোৰ পালে, এতেকে ডমিনিয়ন ষ্টেটচ কথাটোৰে অৰ্থ কিছু পৰিমাণে বদলি হৈ গ'ল। তাৰ পিছত ইংলেণ্ড আৰু ডমিনিয়নসমূহৰ মাজত কেইখনমান সাম্ৰাজ্যিক সন্মিলন বহিল, তাৰ ফলত ইয়াৰ আকৌ পৰিবৰ্ত্তন হ'ল; ডমিনিয়নবিলাকে আৰু অলপ বেছি অধিকাৰ লাভ কৰিলে। আয়াৰলেণ্ডত প্ৰজাতন্ত্ৰীসকলে জোৰেৰে আন্দোলন চলাইছে, এনেদৰে ডমিনিয়নবোৰৰ অৱস্থা ক্ৰমানুয়ে সলনি আৰু উন্নত হ'ব ধৰিলে; শেষত এদিন তেওঁলোকে বৃটিছ জাতি সংঘৰ ভিতৰত বৃটেনৰ সমান জাতিৰূপেই গণ্য হৈ পৰিল। কথাটো শুনিবলৈ বৰ ভাল লাগে। এওঁলোকৰ মাজত ৰাজ-নৈতিক মৰ্য্যাদাৰ এটি সমতা স্থাপনৰ ক্ৰমাগত চেষ্টাৰে আভাস ইয়াৰ মাজত পোৱা যায় যে তাত সন্দেহ নাই। কিন্তু এওঁলোকৰ সেই সমতা নামত যিমান কামত সিমানখিনি নহয়। অৰ্থনৈতিক জীৱনৰ দিশৰপৰা ডমিনিয়নবোৰ এতিয়াও বৃটেনৰ আৰু বৃটিছ মহাজনসকলৰ খপ্পা, এওঁলোকৰ ওপৰত অৰ্থনৈতিক হেচা দি এওঁলোকক মহতাই ৰখাৰো বহুত উপায় বৃটেনৰ হাতত আছে। ইফালে আকৌ ডমিনিয়নবোৰৰ শ্ৰীবৃদ্ধিৰ লগে লগে তেওঁলোকৰ অৰ্থনৈতিক স্বাৰ্থৰ লগত ইংলেণ্ডৰ স্বাৰ্থৰ সংঘাত লগাৰ সম্ভাৱনা, তাৰ ফলত সাম্ৰাজ্যৰ সংহতি ক্ৰমাৎ দুৰ্ব্বল হৈ আহিছে। প্ৰকৃততে সাম্ৰাজ্যখন ফালি চিৰাচিৰ হৈ যোৱাৰ সম্ভাৱনা আসন্ন হৈ উঠিছে দেখি ইংলেণ্ডে তেওঁলোকৰ বন্ধন শিথিল কৰিবলৈ, ডমিনিয়নবোৰৰ লগত ৰাজনৈতিক সমতা স্বীকাৰ কৰি লবলৈ বাধ্য হৈছে। বুদ্ধিমানৰ দৰে সময় থাকোতেই এইখিনি আগুৱাই গৈ তেওঁলোকে বহুখিনি ক্ষতিৰ হাত সাৰিছে। কিন্তু তথাপি সেইটো বেছি দিনৰ কাৰণে নহয়। যিবোৰ কাৰণত ইংলেণ্ডৰ কাষৰ পৰা ডমিনিয়নবোৰ বিচ্ছিন্ন হৈ গৈছে, সেইবোৰ এতিয়াও বৰ্ত্তমান, প্ৰধানকৈ সেইবোৰৰ কাৰণ অৰ্থনৈতিক। এইবো.ৰ ক্ৰমানুয়ে সাম্ৰাজ্যখন শক্তিহীন কৰি পেলাইছে। ইয়াৰ কাৰণেই, আৰু ইংলেণ্ডৰ গতি এতিয়া নিশ্চিত অৱনতিৰ ফালে বুলি জানিয়েই মই তোমালৈ লেখিছিলোঁ, বৃটিছ সাম্ৰাজ্য এতিয়া ক্ৰমে শূন্যত মিলি যাব ধৰিছে। ডমিনিয়নবোৰৰ ইংলেণ্ডৰ লগত বহুতো মিল, তেওঁলোকৰ জাতি একে, সংস্কৃতি একে, ৰাজনীতি একে, তেওঁলোকৰ পক্ষেই যদি ইংলেণ্ডৰ লগত আৰু বেছিদিন একেলগে থকা টান হৈ পৰিছে তেনেহলে ভাৰতবৰ্ষৰ পক্ষে সেইটো আৰু টান, বুজিবই পাৰিছা। ভাৰতবৰ্ষৰ অৰ্থনৈতিক স্বাৰ্থ পোনপটীয়াকৈ বৃটিছ স্বাৰ্থৰ বিৰোধী, সেইবাবেই এওঁলোকৰ এক পক্ষই আনটো পক্ষৰ কাষত হাৰ মানিবই লাগিব। ইংলেণ্ডৰ লগত এই সম্পৰ্ক বজাই ৰখাৰ অৰ্থই হ'ল তেওঁলোকৰ নিজৰ অৰ্থনৈতিক নীতিক বৃটেনৰ নীতিৰ অনুগামী

কাৰ্য বধা, স্বাধীন ভাৰতবৰ্ষ সেইটো কৰিবলৈ বাজি হব যে সেইটো একেবাৰেই সম্ভৱ নহয়।

বৃটিছ জাতিসংঘ বুলিলে আমি বুজো স্বাধীন ডমিনিয়নবিলাকৰ কথা, দৰিদ্ৰ, পৰাধীন ভাৰতবৰ্ষক নহয়। সেয়েহে ই বুজাইছে ৰাজনৈতিক স্বাধীনতা যিসকলৰ আছে এনে কিছুমান দেশকহে। কিন্তু এওঁলোক সকলোৱেই, এতিয়াও বৃটেনৰ অৰ্থনৈতিক সাম্ৰাজ্যৰ অধীন হৈ আছে। আয়াৰলেণ্ডৰ লগত যি সন্ধি বৃটেনে কৰিলে, তাতো বৃটিছ মূলধনৰ হাতত আয়াৰলেণ্ডৰ এই শোষণ কাৰ্য কিছু পৰিমাণে যে চলি থাকিব তাৰ ব্যৱস্থা আছিল। এইখিনিতেই আয়াৰলেণ্ডৰ আচল আপত্তি, এই কাৰণেই তেওঁলোকে প্ৰজাতন্ত্ৰৰ কাৰণে আন্দোলন কৰিছিল। ডি ভেলেৰা আৰু প্ৰজাতন্ত্ৰীসকল আছিল দৰিদ্ৰ কৃষক, নিম্ন মধ্যবিত্ত শ্ৰেণী আৰু দৰিদ্ৰ বুদ্ধিজীৱিসকলৰ প্ৰতিনিধি। আৰু কছ্‌গ্ৰেভ আৰু ফ্ৰি ষ্টেটৰ সভ্যসকল আছিল ধনী মধ্যবিত্ত শ্ৰেণী, আৰু ধনী কৃষকসকলৰ প্ৰতিনিধি। বৃটিছৰ লগত বেহা-বেপাৰ এই দুয়ো শ্ৰেণীৰ পক্ষেই লাভজনক, বৃটিছৰ পুঁজিপতিসকলে এওঁলোকৰ লগত সম্পৰ্ক বজাই ৰাখিবলৈ আগ্ৰহশীল।

কিছু দিনৰ পিছত ডি ভেলেৰাই স্থিৰ কৰিলে তেওঁলোকৰ ৰণকৌশল পৰিবৰ্তন কৰিব। তেওঁ দলবল লৈ ডেইল আয়ৰিয়ানত প্ৰৱেশ কৰিলে আনুগত্যৰ শপত গ্ৰহণ কৰিলে। কিন্তু লগে লগেই স্পষ্ট কথাৰে জনাই দিলে সেইটো তেওঁলোকে কৰিছে কেৱলমাত্ৰ প্ৰচলিত ৰীতিৰ খাটিৰত; ডেইলত সংখ্যা গৰিষ্ঠতা অৰ্জন কৰিব পাৰিলেই তৎক্ষণাৎ তেওঁলোকে এই শপত গ্ৰহণৰ ৰীতিটোকেই তুলি দিব। ইয়াৰ পিচৰ নিৰ্বাচন হ'ল ১৯৩২ চনৰ প্ৰথম ভাগত। ডি ভেলেৰাৰ দলেই এইবাৰ ফ্ৰি ষ্টেট পালিয়ামেণ্টত অধিকাংশ আসন দখল কৰিলে। লগে লগেই ডি ভেলেৰাই তেওঁৰ সংকল্প কাৰ্যত পৰিণত কৰিবলৈ লাগি গ'ল। ঠিক হ'ল প্ৰজাতন্ত্ৰৰ কাৰণে সংগ্ৰাম তেতিয়াও সমানে চলাই যোৱা হব কিন্তু সেই সংগ্ৰামৰ পদ্ধতি হব আন ধৰণৰ। ডি ভেলেৰাই প্ৰস্তাৱ কৰিলে আনুগত্যৰ শপতটো গুচাই দিয়া হওক বৃটিছ চৰকাৰক এই কথাও তেওঁ জনাই দিলে এতিয়াৰপৰা আৰু বৃটেনক মাটিৰ কাৰণে বছৰেকীয়া কিস্তি টকা নিদিয়ে। এই কিস্তিৰ কথাটোনো কি—বোধহয় তোমালৈ এবাৰ লেখিছিলোঁ। আয়াৰলেণ্ডৰ ডাঙৰ ডাঙৰ মাটি গৰাকীসকলৰ মাটিৰ বেতিয়া বৃটিছ চৰকাৰে নিজৰ কৰি ললে তেতিয়া সেই মাটিৰ কাৰণে মাটিৰ গৰাকীসকলক মূল্য স্বৰূপে প্ৰচুৰ ধন দিবলগীয়া হৈছিল, তাৰ পিছত আকৌ যিসকল কৃষকে সেই মাটি কৰিবলৈ ললে, তেওঁলোকৰপৰা বছৰৰ পিছত বছৰ ধৰি সেই টকা কিস্তি কৰি কৰি আদায় কৰা হৈছিল। এক পুৰুষৰো বেছি কাল ধৰি এই ব্যৱস্থা চলি আহিছে, তেতিয়াও চলিছিল। ডি ভেলেৰাই কলে যে আৰু টকা দিবলৈ তেওঁ ৰাজি নহয়।

এই কথা শুনাৰ লগে লগে ইংলেণ্ডত তুমুল হৈ চৈ লাগিল। বৃটিছ চৰকাৰৰ লগত ডি ভেলেৰাৰ কাজিয়া লাগিল। বৃটিছ চৰকাৰে প্ৰথম কথাতেই ক'লে ডি ভেলেৰাই আনুগত্যৰ প্ৰথা তুলি দিব বিচাৰিছে, ইয়াৰ দ্বাৰা ১৯২১ চনৰ আইৰিছ সন্ধিৰ স্বত্ব ভঙ্গ কৰা হৈছে। ডি ভেলেৰাই ক'লে তোমালোকেইতো কৈছা ডমিনিয়নবোৰ আৰু ইংলেণ্ড সমান মৰ্য্যাদাসম্পন্ন দেশ। সেয়ে যদি হয়, তেন্তে

আয়াৰলেণ্ড আৰু ইংলেণ্ড দুয়োখনতো ঘনিষ্ঠ সম্পৰ্ক থকা জাতিৰ দৰে, আৰু দুয়োৰে শাসনতন্ত্ৰ পৰিবৰ্ত্তন কৰাৰো অধিকাৰ আছে। আনুগত্যৰ শপতটো আয়াৰলেণ্ডৰ শাসনতন্ত্ৰৰ ভিতৰুৱা কথা, তেতিয়াহলে আয়াৰলেণ্ডৰ নিশ্চয় সেইটো সলনি বা বৰ্জন কৰাৰ অধিকাৰ আছে। ১৯২১ চনৰ সন্ধিৰ কথা ইয়াত কোনোমতেই উঠিব নোৱাৰে। আৰু এই অধিকাৰেই যদি আয়াৰলেণ্ডৰ নাথাকে তেনেহলে বা ই স্বাধীন হ'ল ক'ত, তেনেহলেতো ই এই পৰিমাণে ইংলেণ্ডৰ অধীন হৈয়েই থাকিবলগীয়া হৈছে।

দ্বিতীয়তে বছৰি কিস্তিৰ টকা বন্ধ কৰাৰ কথাতে বৃটিছ চৰকাৰে আৰু বেছি চিঞৰ-বাখৰ আৰম্ভ কৰিলে। ক'লে ই এটা বৰ ডাঙৰ অন্যায়। আয়াৰলেণ্ডে তেওঁলোকৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰিছে; দিবলগীয়া টকা দিবলৈ অস্বীকাৰ কৰিছে। ডি ভেলেৰাই এই কথা স্বীকাৰ নকৰিলে এতেকে ইয়াকে লৈ এখন আইনৰ তৰ্ক আৰম্ভ হ'ল। সেই তৰ্কৰ বিষয়ে আমাৰ কোনো প্ৰয়োজন নাই। কিস্তিৰ টকা দিয়াৰ সময় আহিল, ডি ভেলেৰাই টকা নিদিলে। ইংলেণ্ডে তেতিয়া আয়াৰলেণ্ডৰ বিৰুদ্ধে নতুন কৰি যুদ্ধ আৰম্ভ কৰিলে। এইবাৰ হ'ল এখন অৰ্থনৈতিক যুদ্ধ। আয়াৰলেণ্ডৰ পৰা যিমান পণ্য দ্ৰব্য ইংলেণ্ডলৈ আহে সকলোৰে ওপৰত বৰ বেছি ৰকমৰ শুল্ক বহুৱা হ'ল। আইৰিচ কৃষক সকলে তেওঁলোকৰ কৃষিজাত দ্ৰব্য ইংলেণ্ডত বেচিছিল। এই শুল্ক বহুৱালে তেওঁলোক সৰ্ব্বস্বান্ত হৈ যাব, আৰু সেই হেচাত পৰি আইৰিচ চৰকাৰে নিজৰ জেদ এৰিবলৈ বাধ্য হব। যি তেওঁলোকৰ চিৰকলীয়া নিয়ম, বিপক্ষক বাধ্য কৰিবৰ কাৰণে ইংলেণ্ডে তেওঁলোকৰ লাঠি চলাবলৈ আৰম্ভ কৰিলে। কিন্তু জোৰ জুলুমত এসময়ত যি কাম হৈছিল এতিয়া আৰু সেইটো নহয়। ইয়াৰ ওলোটা জবাব স্বৰূপে আইৰিচ চৰকাৰেও বৃটেনৰ পৰা যিবোৰ পণ্য দ্ৰব্য আয়াৰলেণ্ডলৈ আহে তাৰ ওপৰতো শুল্ক বহুৱাই দিলে। এই অৰ্থনৈতিক যুদ্ধত দুয়োপক্ষৰেই কৃষক আৰু কাৰখানাৰ গৰাকীসকলৰ অশেষ ক্ষতি আহিব লগীয়া হ'ল। কিন্তু তথাপি কোনো পক্ষই পৰাজয় স্বীকাৰ কৰিব নোৱাৰে। কিয়নো জাতীয়তাবোধ আৰু মৰ্য্যাদাবোধে আহি এওঁলোকক বাধা দিয়ে।

১৯৩৩ চনৰ প্ৰথম ভাগত আয়াৰলেণ্ডত আৰু এবাৰ নিৰ্বাচন হ'ল, তাৰ ফলাফল দেখি বৃটিছ চৰকাৰ অত্যন্ত ক্ষুব্ধ হৈ উঠিল। এইবাৰৰ নিৰ্বাচনত ডি ভেলেৰাই আগৰ বাৰতকৈ বেছি সাফল্য লাভ কৰে, এইবাৰৰ পালিয়ামেণ্টত তেওঁৰ দলৰ লোক আৰু বেছিকৈ সোমাই পৰিছে। ইয়াৰ পৰাই স্পষ্ট প্ৰমাণ হৈছে বৃটেনে যি অৰ্থনৈতিক উৎপীড়নৰ হেচা দিছিল তেওঁলোকৰ সেই কূট কৌশল ব্যৰ্থ হৈছে। ইয়াৰ ভিতৰত আমোদজনক কথা হৈছে এয়ে যে বৃটিছ চৰকাৰে উচ্চস্বৰে চিঞৰিছে আইৰিচ সকলে তেওঁলোকৰ ধাৰৰ টকা শোধ কৰা নাই। এতেকে তেওঁলোক অতি নীচমনা, অথচ তেওঁলোকে নিজেও কিন্তু আমেৰিকাৰ ওচৰত তেওঁলোকৰ যি পৰ্ব্বত প্ৰমাণ ধাৰ আছে, সেইবোৰ পৰিশোধ কৰাৰ তেওঁলোকৰ ইচ্ছা নাই।

ডি ভেলেৰা এতিয়া আইৰিচ চৰকাৰৰ পৰিচালক, এখোজ এখোজকৈ তেওঁ তেওঁৰ দেশক আগুৱাই নিব ধৰিছে, প্ৰজাতন্ত্ৰৰ ফালে। আনুগত্যৰ শপতটো ইতি মধ্যেই তুলি দিয়া হৈছে, বছৰি কিস্তিৰ টকা দিয়া চিৰকালৰ কাৰণে বন্ধ হৈ গৈছে। পূৰ্ব্বৰ কালৰ পৰাই এজন গভৰ্ণৰ জেনেৰেল আয়াৰলেণ্ডত অধিষ্ঠিত আছিল,

তেওঁ আৰু নাই—সেই পদটিত ডি ভেলেৰাই নিজৰ দলৰ এজন লোকক বহুৱাইছে, পদটোৰো গুৰুত্বৰ এতিয়া আৰু অলপ অৱশিষ্ট নাই। প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাপোৰ কাৰণে আয়াৰলেণ্ডে এতিয়াও সংগ্ৰাম চলাইছে, কিন্তু সেই সংগ্ৰামৰ ৰীতি এতিয়া বদলি হৈ গৈছে। বহু শতাব্দী ধৰি ইংলেণ্ডৰ লগত আয়াৰলেণ্ডৰ যি যুদ্ধ চলি আহিছিল সেই যুদ্ধ আজিও বন্ধ হোৱা নাই। এতিয়া সেইটোৱে যুদ্ধৰ ৰূপ লৈছে-এখন অৰ্থনৈতিক যুদ্ধৰ।

হয়তো আৰু অলপ দিনৰ ভিতৰতেই আয়াৰলেণ্ড এখন প্ৰজাতন্ত্ৰত পৰিণত হব। কিন্তু তাৰ বাটত এটি বৰ ডাঙৰ বাধা। ডি ভেলেৰা আৰু তেওঁৰ দলৰ আটাইতকৈ ডাঙৰ কামনা হৈছে এখন সমগ্ৰ আয়াৰলেণ্ড, এখন দেশ জুৰি প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা কৰা, গোটেই দ্বীপটোকে লৈ এখন কেন্দ্ৰীয় চৰকাৰ তেওঁলোকে স্থাপন কৰিব বিচাৰে, তাৰ ভিতৰত আলষ্টাৰো থাকিব এয়ে তেওঁলোকৰ ইচ্ছা। অতি সৰু দেশ আয়াৰলেণ্ড তাক দুই খণ্ড কৰি ৰখা উচিত নহয়। কিন্তু সেই আলষ্টাৰক কি কৰি বাকী আয়াৰলেণ্ডৰ লগত যোগ দিয়া যায়, এইটোৱেই হৈছে এতিয়া ডি ভেলেৰাৰ ডাঙৰ সমস্যা। গাৰ জোৰেৰে সমাধা কৰা কথা এইটো নহয়। ১৯১৪ চনত বৃটিছ চৰকাৰে সেই চেষ্টা কৰি চাইছিল, তাৰ ফলত দেশত বিদ্ৰোহৰ উপক্ৰম হৈছিল। আলষ্টাৰক গাৰ জোৰেৰে বাধ্য কৰাৰ শক্তি ফ্ৰি ষ্টেটৰ নিশ্চয় নাই। সেই চেষ্টা কৰাৰ ইচ্ছাও তেওঁ পোষণ কৰা নাই। ডি ভেলেৰাৰ আশা হয়তো তেওঁ আলষ্টাৰৰ লগত সম্প্ৰীতি স্থাপন কৰিব পাৰিব, আৰু সেই সম্প্ৰীতিৰ যোগেদিয়েই দেশৰ দুটি অংশক একেলগে বান্ধিব পাৰিব। তেওঁৰ এই আশা অলপ যুক্তিহীন বুলিয়েই মনে ধৰে, ই যেন মাত্ৰ দুৰাশাহে। প্ৰোটেষ্টাণ্টৰ দেশ আলষ্টাৰ, কেথলিক আয়াৰলেণ্ডৰ ওপৰত তেওঁলোকৰ চিৰকাল ঘোৰ অবিশ্বাস, সেই অবিশ্বাস এতিয়াও গুচা নাই।

মন্তব্য (১৯৩৮):-দুই দেশৰ মাজত অৰ্থনৈতিক সংগ্ৰাম কেইবছৰমান চলাৰ পিচত, দুয়ো গবৰ্ণমেণ্টৰ ভিতৰত হোৱা এক চুক্তিৰ জৰিয়তে এই সংগ্ৰাম শেষ হয়। এই চুক্তি ফ্ৰি ষ্টেটৰ পক্ষে খুব অনুকূল হৈছিল, কাৰণ ইয়াৰ দ্বাৰা বছৰি কৰদান আৰু অন্যান্য আৰ্থিক সমস্যাৰ সমাধান হৈ গ'ল। মিঃ ডি ভেলেৰা সাধাৰণ তন্ত্ৰৰ বাটত আৰু আগুৱাই গ'ল আৰু বৃটিছ গভৰ্ণমেণ্ট আৰু বৃটিছ ৰজাৰ লগত আৰু কেইটামান যোগসূত্ৰ চিঙি পেলালে। আয়াৰলেণ্ডৰ নাম এতিয়া আয়াৰ। আয়াৰৰ আগত এতিয়া আটাইতকৈ গুৰুতৰ সমস্যা হ'ল ঐক্যবিধান যাতে আলষ্টাৰো তেওঁলোকৰ অন্তৰ্ভুক্ত হব পাৰে তাৰ ব্যৱস্থা কৰা। কিন্তু আলষ্টাৰ এতিয়াও মান্তি হোৱা নাই।

১৫৮

ভগ্নস্তূপৰপৰা নৱ-তুৰস্কৰ আবিৰ্ভাৱ

৭ মে, ১৯৩৩

আগৰ চিঠিত তোমালৈ লেখিছিলোঁ, গণতন্ত্ৰ প্ৰতিষ্ঠাৰ কাৰণে কি ভীষণ সংগ্ৰাম আয়াৰলেণ্ডে কৰিছিল। আয়াৰলেণ্ড আৰু তুৰস্কৰ মাজত বিশেষ কোনো সম্পৰ্ক নাই, তথাপি আজি মোৰ মনত নতুন তুৰস্কৰ কথাই জাগি উঠিছে সেয়ে আজি ইয়াৰ কথাই মই তোমাক কম। আয়াৰলেণ্ডৰ দৰেই তুৰস্কৰ সন্মুখতো বিশেষ বাধা-বিঘিনি আছিল, আৰু আয়াৰলেণ্ডৰ দৰেই ইও সেইবোৰৰ বিৰুদ্ধে থিয় হৈ আচৰিত সংগ্ৰাম চলাইছে। মহাযুদ্ধৰ ফলত তিনিখন সাম্ৰাজ্য বিলোপৰ ইতিহাস আমি ইতিমধ্যে দেখিছোঁ—ৰুচিয়া, অষ্ট্ৰীয়া আৰু জাৰ্মাণী। আৰু এখন ডাঙৰ সাম্ৰাজ্য ইয়াৰ হেঁচাত ভাঙি পৰিছিল,—সেইখন হ'ল তুৰস্কৰ অটোমান সাম্ৰাজ্য। ছশ বছৰ আগত অটোমান আৰু তেওঁৰ বংশধৰ সকলে এই সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল; গঢ়ি তুলিছিল। এতেকে দেখিছা ৰুচিয়াৰ ৰোমাণক বংশ বা প্ৰাচিয়া আৰু জাৰ্মাণীৰ হোহেন জোলাৰ্ণ বংশৰ তুলনাত এই ৰাজবংশটি অতি বেছি পুৰণি। ত্ৰয়োদশ শতাব্দীত প্ৰথম হাপচবুৰ্গ ৰাজবংশ আৰু আটোমান ৰাজবংশ প্ৰায় একে সময়তে প্ৰতিষ্ঠিত হৈছিল, এই দুটা পুৰণি ৰাজবংশৰ পতনো হয় একেলগে।

মহাযুদ্ধত জাৰ্মাণীৰ মাত্ৰ কেইদিনমানৰ আগতে তুৰস্ক পৰাস্ত হয়; মিত্ৰ পক্ষৰ লগত ই বেলেগ ভাবেই সন্ধি স্থাপন ব্যৱস্থা কৰিলে। দেশখন তেতিয়া প্ৰকৃততে ভাঙি একেবাৰে টুকুৰা-টুকুৰ হৈ গৈছে; সাম্ৰাজ্যৰ অস্তিত্ব গৈছে লুপ্ত হৈ, দেশৰ শাসন ব্যৱস্থা পৰ্যন্ত ভাঙি পৰিছে। ইৰাক আৰু আৰব অঞ্চলৰ দেশবোৰ, সকলোৰেই তেওঁলোকৰ হাতৰপৰা খহি পৰিছে, সেইবোৰৰ বেছি ভাগেই তেতিয়া মিত্ৰ পক্ষৰ দখলত। আনকি কনষ্টাণ্টিনোপল চহৰখনো তেতিয়া মিত্ৰ পক্ষৰ হাতত গৈ পৰিছে, আৰু চহৰৰ ঠিক কাষতে বচফৰাচৰ বুকুৰ ওপৰত বৃটিছৰ যুদ্ধ জাহাজবোৰ লঙৰ পেলাই থাকি বিজয়ৰ গৌৰৱ ঘোষণা কৰি আছে। যি কালেই চোৱা সেই কালেই কেৱল ইংৰাজ, ফৰাচী আৰু ইটালীৰ সৈন্যই, দেশ জুৰি বৃটেনৰ গুপ্তচৰে চিঁঘিলবিলাব ধৰিছে। তুৰস্কৰ দুৰ্গবিলাক ধ্বংস কৰি দিয়া হৈছে; সৈন্য বুলিবলৈ যি কেইজন অৱশিষ্ট আছিল তেওঁলোক অস্ত্ৰ-শস্ত্ৰ সমৰ্পণ কৰিবলৈ বাধ্য হৈছে। এনভাৰ পাছা, তালাত বেগ আদি তৰুণ তুৰ্কী দলৰ নেতাসকল দেশ এৰি অন্য দেশলৈ পলাই গৈছে। চুলতানৰ আসনত বহি আছে পুতলা সদৃশ

খলিফা ওৱাহিদ্ উদ্দিন। তেওঁৰ চেষ্টা হ'ল এই ধ্বংস স্তূপৰপৰা যি উপায়ে পাৰে নিজক বচাই ৰখা,—দেশ ৰসাতলে যায় যাওক। বৃটিছ চৰকাৰৰ অনুগ্ৰহ প্ৰাপ্ত আন এজন পুতেকক প্ৰধান উজীৰ কৰি দিয়া হৈছে। পাৰ্লিয়ামেণ্ট ভাঙি দিয়া হৈছে।

১৯১৮ চনৰ শেষ আৰু ১৯১৯ চনৰ প্ৰথমৰ ফালে তুৰস্কৰ অৱস্থা এনে আছিল। তুৰ্কীসকলৰ তেতিয়া একেবাৰে অকুলা-অপুৰা, মনো ভাঙি পৰিছে তেওঁলোকৰ। কি ভয়ঙ্কৰ দুৰ্ভাগ্যৰ লগত তেওঁলোকে যুঁজ কৰিবলগীয়া হৈছিল এবাৰ ভাবি চোৱাচোন। বিশ্বযুদ্ধ চলিছিল চাৰি বছৰ জুৰি, তাৰ আগতে গ'ল বলকান যুদ্ধ, তাৰো আগতে গ'ল ইটালীৰ লগত যুদ্ধ; আৰু এই সকলোবোৰেই হ'ল তৰুণ তুৰ্কীৰ বিপ্লৱ শেষ হওঁ নোহওঁতেই—যি বিপ্লৱত চুলতান আব্দুল হামিদক সিংহাসন চ্যুত কৰা হৈছিল, দেশত পাৰ্লিয়ামেণ্ট প্ৰতিষ্ঠা কৰা হৈছিল। তুৰ্কীসকলে আচৰিত সহনশীলতা দেখুৱাই আহিলেও প্ৰায় একে লেঠাৰীয়ে আঠ বছৰ ধৰি চলা যুদ্ধৰ হেঁচা তেওঁলোকে চম্ভালিব নোৱাৰিলে অৱশ্যে যি কোনো জাতিৰ পক্ষেই ইয়াক চম্ভালা অসম্ভৱ আছিল। এতেকে এইবাৰ তেওঁলোক একেবাৰেই হতাশ হৈ পৰিল, কপালক খিয়াই—মিত্ৰ পক্ষইনো তেওঁলোকৰ সম্বন্ধে কি সিদ্ধান্ত লয় তাৰ প্ৰতীক্ষাত মনে মনে বহি থাকিল।

ইয়াৰ দুই এবছৰ আগতে, যুদ্ধৰ মাজতে, মিত্ৰ পক্ষই ইটালীৰ লগত এনে গোপন সন্ধি কৰিছিল, স্মাৰ্ণা আৰু এচিয়া মাইনৰৰ পশ্চিম অঞ্চল যি ইটালীক দিব বুলি প্ৰতিশ্ৰুত হৈছিল। ইয়াৰ আগতে কনষ্টাণ্টিনোপল চহৰখন ৰুচিয়াক উপহাৰ দিয়া হৈছে; অৱশ্যে কাগজে কলমে, আৰৰ দেশবোৰকো মিত্ৰ পক্ষৰ মাজত ভগাই দিয়া শেষ হৈছে। এচিয়া মাইনৰ ইটালীক দিব বুলি যে এই শেষৰ সন্ধিটো এওঁলোকে কৰিলে, ৰুচিয়াই বাধ্য হৈ তাত সন্মতি দিব লগা হ'ল। কিন্তু ইটালীৰ ভাগ্য, বেয়া কামটি সম্পন্ন হোৱাৰ আগতে ৰুচিয়া বলচেভিকসকলৰ হাতলৈ গ'ল, আগৰ প্ৰতিশ্ৰুতি আৰু ৰখা নহ'ল। ইটালী বৰ ক্ষুব্ধ হ'ল—মিত্ৰ পক্ষৰ ওপৰত তেওঁলোকৰ বৰ খং উঠিল।

এই পৰিস্থিতি। তুৰ্কীসকল তেতিয়া একেবাৰেই নিৰুৎসাহী হৈ পৰিছে, মিত্ৰ পক্ষৰ পদলেহী চুলতানৰ পৰা আৰম্ভ কৰি নগণ্য প্ৰজালৈকে সকলোৱেই। 'ইয়ুৰোপৰ ৰুগীয়া ব্যক্তিৰ' অৱশেষত মৃত্যু হ'ল; তেতিয়াও দুই চাৰিজন তুৰ্কী-লোকৰ মুৰ দোৱাবলৈ ৰাজী হোৱা নাছিল; তেওঁলোকৰ লগত যুদ্ধ কৰি জয়লাভ কৰাৰ আশা যিমানেই ক্ষীণ হওক লাগিলে, নীৰবে আৰু গোপনে তেওঁলোকে কাম কৰি গ'ল। ৰণ সম্ভাৰৰ সকলো ভঁৰাল তেতিয়া প্ৰকৃততে মিত্ৰপক্ষৰ হাতত গৈ পৰিছে। সেই ভঁৰালৰ পৰাই এওঁলোকে অস্ত্ৰ-শস্ত্ৰ, ৰণ সাজ-সৰঞ্জাম আঁতৰাই আনিব ধৰিলে, সেইবোৰ আনি জাহাজেৰে কৃষ্ণ সাগৰৰ বাটেদি আনাতোলিয়াৰ (এচিয়া মাইনৰ) ভিতৰুৱা প্ৰদেশলৈ পঠাব ধৰিলে। এই গোপন কৰ্মীসকলৰ মাজত প্ৰধান আছিল মুস্তাফা কামাল পাছা, এওঁৰ নাম মই কেইবাৰনো চিঠিত উল্লেখ কৰিছো।

-ইংৰাজসকলে মুস্তাফা কামাল পাছাক একেবাৰে দেখিব নোৱাৰিছিল। তেওঁৰ

তেওঁলোকে সন্দেহে কৰিছিল আৰু গেপ্তাৰ কৰিব বিছাৰিছিল। চুলতানো একেবাৰে ইংৰাজৰ হাতৰ মানুহ; তেৰেঁা কামালক দেখিব নোৱাৰিছিল। তেওঁ ভাবিলে, কামালক দেশৰ বহুদূৰৰ ভিতৰুৱা অঞ্চললৈ পঠাই দিলেই তেওঁ নিৰাপদ হ'ব পাৰে। এতেকে কামাল পাছাক পূব আনাতলিয়াত থকা সৈন্য বাহিনীৰ ইনচ্‌পেক্টৰ জেনেৰেল কৰি পঠোৱা হ'ল। পৰিদর্শন কৰিব লগীয়া সৈন্য বাহিনী বুলিবলৈ তাত বিশেষ একোৱেই নাছিল। আচলতে কামালৰ কাম হ'ব তুর্কী সৈন্যসকলৰ হাতৰ পৰা অস্ত্র-শস্ত্র আদায় কৰি নি মিত্র পক্ষক সহায় কৰা। কামালৰ কাৰণে এইটো আছিল এটা অপূর্ব সুযোগ, তাক তেওঁ এৰি নিদিলে আৰু অনতি পলমে তেওঁ ৰাওনা হ'ল। লৰালৰিকৈ গৈ ভাল কৰিলে বুলিয়েই কব লাগিব, কিয়নো তেওঁ যাত্রা কৰাৰ কেই ঘণ্টামান পাছতেই আকৌ চুলতানৰ মতৰ সলনি হ'ল। কামালৰ ভয়ত তেওঁ বৰ ত্রস্তমান হৈ পৰিল, মাজনিশা তেওঁ ইংৰাজৰ ওচৰলৈ খবৰ পঠালে, কামালৰ যাত্রা বন্ধ কৰিবলৈ। কিন্তু তেতিয়া চৰাই উৰি গৈছে।

মুষ্টিমেয় কেইজনমান তুর্কী সহকর্মীক লগত লৈ কামাল পাচাই জাতি সংগঠনৰ কামত লাগি গ'ল, আনাতোলিয়াত মিত্রপক্ষক অৱৰোধ কৰিব লাগিব। প্রথমে তেওঁলোকে নিঃশব্দে আৰু অতি সাৱধানে অগ্রসৰ হ'ব খুজিলে। তেওঁলোকৰ লক্ষ্য হ'ল, আনাতোলিয়াত যি সৈন্য বাহিনীৰ অৱশিষ্ট আছিল তাৰ ডাঙৰ কর্ম-কর্তাসকলক নিজৰ ফাললৈ অনা। বাহিৰত তেওঁলোকে চুলতানৰ কর্মচাৰী বুলিয়েই পৰিচয় দিলে, কিন্তু কনষ্টেণ্টিনোপলৰ পৰা যি আদেশ আৰু নির্দেশ আহে তালৈ তেওঁলোকে কোনো ভ্রূক্ষেপকে নকৰে। ইতিমধ্যে ঘটনা চক্রৰ গতিও তেওঁলোকৰ সহায়ক হৈ পৰিল। ককেচাচ অঞ্চলত ইংৰাজসকলে এখন আর্মেনিয়ান প্রজাতন্ত্র স্থাপন কৰিছিল, কথা দিছিল তুৰস্কৰ সমতলৰ অঞ্চল বোৰকো তাৰ ভিতৰুৱা কৰি দিব। (এই আর্মেনিয়ান প্রজাতন্ত্র এতিয়া চোভিয়েট ইউনিয়নৰ এটি অংশত পৰিণত হৈছে)। আর্মানি আৰু তুর্কীসকলৰ মাজত বৰ শত্রুতা, অতীত কালত তেওঁলোকৰ মাজত মৰামৰি কটাকটিও বহুত বাৰ হৈছিল। তুর্কীসকল যেতিয়ালৈকে দেশৰ ৰজা আছিল তেতিয়ালৈকে এই ৰক্তপাতৰ ঠেলাত তেওঁলোকেই বাৰে বাৰে জিকিছে, বিশেষকৈ আব্দুল হামিদৰ আমোলত। এতিয়া যদি সেই তুর্কীসকলক আনি আর্মানিয়ানসকলৰ তলতীয়া কৰি দিয়া হয় তাৰ অর্থ হ'ব নিশ্চিত মৃত্যু। এতেকে আনাতোলিয়াৰ পূব সমতলৰ তুর্কীসকলে অতি আগ্রহেৰে কামাল পাছাৰ আহ্বান আৰু যুক্তি-তর্ক কাণ পাতি শুনিব খুজিলে।

ইতিমধ্যে আৰু এটা নতুন আৰু ডাঙৰ ঘটনা ঘটিল, যাৰ হেঁচাত তুর্কীসকল একেবাৰে টোপনিৰ পৰা জাগি উঠিল। ফ্রান্স আৰু ইংলেণ্ডৰ লগত ইটালীয়ে যি গোপন সন্ধি কৰিছিল তাৰ চর্ত পূৰণ হোৱা নাই। ১৯১৯ চনৰ প্রথম ভাগত ইটালীয়ে তাক কার্যত পৰিণত কৰিবলৈ চেষ্টা কৰিলে, এচিয়া মাইনৰত আনি তেওঁলোকৰ সৈন্য নমাই দিলে। ইংলেণ্ড আৰু ফ্রান্স এইটো একেবাৰে ভাল নেপালে, তেতিয়া ইটালীক প্রশ্রয় দিবলৈ তেওঁলোক ৰাজি নাছিল। আন কোনো পথ ভাবি নেপাই তেওঁলোকে এনে ব্যৱস্থাত ৰাজি হ'ল যে, ইটালী আহি পোৱাৰ


মুস্তাফা কামালৰ তুৰস্ক ৰক্ষা
চোভিয়েট ৰাছিয়া
টিফলিচ
ট্ৰেবিজণ্ড
চামচুন
আৰ্মেনিয়া
ইৰ্জেৰাম
আংকোৰা
চাকাৰিয়া
চিবাচ
কাইচাৰি
ইস্কেচেহিৰ
আফিয়াম
কাৰাহিচাৰ
স্মাৰ্ণা
দাৰ্দানেলিচ
আদালিয়া
দিয়াৰবেকৰ
আলেপ্পো
চিৰিয়া
ইউফ্ৰেটিচ
টাইগ্ৰীচ
মচুল
ইৰাক
ৰেলপথ (কামালৰ পৰ্ব্বে)
তীৰ চিনেৰে কামালৰ আক্ৰমণ আৰু গ্ৰীক সকলৰ পলায়ন নিৰ্দ্দেশিত হৈছে

আগতে গ্ৰীক্‌সৈন্যই স্মাৰ্ণা দখল কৰি ৰহিব—যাতে ইটালীৰ উদ্দেশ্য ব্যৰ্থ হৈ যায়।

এই কামৰ কাৰণে গ্ৰীক্ সকলক তেওঁলোকে মনোনীত কৰিলে কিয় ? কথাটো আৰু ইংৰাজৰ সৈন্যবোৰ ৰণক্লান্ত, তেওঁলোকে তেতিয়া প্ৰায় বিদ্ৰোহ কৰিবলৈ উদ্যত হৈ আছে। তেওঁলোকে বিচাৰিলে সৈন্যবাহিনী ভাঙি দিয়া হওক, আমি যিমান সোনকালে পাৰো ঘৰলৈ উভতি যাওঁ। গ্ৰীক্‌সকলক, ইফালে, হাতৰ কাষতে পোৱা হৈছে ; তাৰ উপৰিও গ্ৰীক্ চৰকাৰেও তেতিয়া সপোন দেখিছিল এচিয়া মাইনৰ আৰু কনষ্টাণ্টিনোপল দুয়োখনেই তেওঁলোকে দখল কৰি ল'ব ; দখল কৰি পুনৰ্পি বাইজাণ্টাইন সাম্ৰাজ্যক আকৌ জীয়াই তুলিব। লয়েড জৰ্জ তেতিয়া ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী, মিত্ৰ পক্ষৰ পৰামৰ্শ সভাতো তেওঁৰ বৰ প্ৰতিপত্তি। দৈৱ ক্ৰমে গ্ৰীচৰ দুজন অতি কৰ্মদক্ষ লোক আছিল তেওঁৰ বন্ধু। তেওঁলোকৰ এজন হৈছে ভেনিজেলচ গ্ৰীচৰ প্ৰধানমন্ত্ৰী। আনজন এজন অতি ৰহস্যাবৃত লোক, এতিয়া এওঁক সকলোৱে চাৰ বেচিল জাহাৰফ্ বুলি জানে, কিন্তু এওঁৰ আগৰ নাম আছিল বেচিলিয়চ জাকাৰিয়াচ। ১৮৭৭ চনত এওঁ এখন বৃটিছ ৰণৰ সঁজুলি কৰা কাৰখানাৰ প্ৰতিনিধি হৈ বালকান সমতললৈ যায়—তেতিয়া তেওঁৰ বয়স কম। বিশ্ব যুদ্ধ যেতিয়া শেষ হ'ল, তেতিয়া দেখা গ'ল এওঁ ইয়ুৰোপৰ মাজত আনকি হয়তো গোটেই পৃথিৱীৰ মাজত সকলোতকৈ ধনী মানুহ হৈ পৰিছে। ডাঙৰ ডাঙৰ ৰাষ্ট্ৰনীতিবিদ আৰু গোটেই দেশৰ শাসনকৰ্তাসকলেও এওঁক অলপ খাতিৰ কৰিব পাৰিলে নিজকে ধন্য মানিছিল। ইংলেণ্ডৰপৰা বৰ ডাঙৰ ডাঙৰ উপাধি এওঁক দিয়া হ'ল, ফ্ৰান্সেও বহুতো উপাধি দিলে। বহুতো বাতৰিকাকতৰ এওঁ মালিক, নিজে আঁৰালত থাকে, কিন্তু বহুতো দেশৰ চৰকাৰি কৰ্তৃপক্ষ বহু পৰিমাণে তেওঁৰ ইঙ্গিততে চলে বুলি ধাৰণা হয়। সাধাৰণ মানুহে এওঁৰ সম্বন্ধে প্ৰায় একেবাৰেই নেজানে, তেওঁ নিজেও জনসাধাৰণৰ দৃষ্টিৰপৰা আঁতৰি থাকে। প্ৰকৃততে এওঁ আছিল আধুনিক যুগৰ আন্তৰ্জাতিক মহাজনৰ এটি খাটি নমুনা, দেশে দেশে এওঁলোকৰ আদৰ আৰু প্ৰতিপত্তি, আৰু বিভিন্ন গণতান্ত্ৰিক দেশৰ চৰকাৰ সমূহেও কিছুদূৰ পৰিমাণে এওঁলোকৰ ইঙ্গিততে চলে। এইবোৰ দেশৰ জনসাধাৰণে ভাবে তেওঁলোকে নিজে নিজৰ শাসন চলাইছে, কিন্তু তেওঁলোকৰ পিছত দেখা নোপোৱাকৈ থিয় দি থাকে ৰাজ্যৰ প্ৰকৃত শাসক—সেইটো হৈছে আন্তৰ্জাতিক মহাজনৰ টকাৰ জোৰ।

ইমান ধন, ইমান প্ৰতিপত্তি জাহাৰফৰ হ'ল ক'ৰপৰা ? তেওঁৰ ব্যৱসায় আছিল সকলো প্ৰকাৰ ৰণ সজ্জা বিক্ৰী কৰা, সেই ব্যৱসায়ত প্ৰচুৰ লাভ—বিশেষকৈ বলকান দেশত। বহুতৰে কিন্তু ধাৰণা, প্ৰথমৰপৰাই তেওঁ বৃটিছ গুপ্তচৰ বিভাগৰ লোক আছিল। ইয়াৰ বাবেই তেওঁৰ ব্যৱসায়ত বৰ সুবিধা হৈছিল, ৰাজনীতিতো ভাগ লবলৈ সুযোগ মিলিছিল। পৃথিৱীত বাৰে বাৰে যুদ্ধ লগাব পাৰিলেহে তেওঁৰ কোটি কোটি লাভ হ'ব ধৰিলে আৰু এইদৰেই তেওঁ ক্ৰমে আজিৰ এই মহলাৰ বৰলোক হৈ পৰিল।

এই অদ্ভুত ধনবান আৰু ৰহস্যময় মানুহজন আৰু ভেনিজেলচ— এওঁলোকৰ কাৰণেই লয়েড জৰ্জ্জে এচিয়া মাইনৰলৈ গ্ৰীক সৈন্য পঠোৱা কথাত সন্মতি দিলে। জাহাৰফে ক'লে এই অভিযানৰ সকলো (খৰচৰ) ধন তেওঁ যোগাব। ব্যৱসায় কৰিবলৈ গৈ তেওঁ যি কেইবাৰ লোকচান কৰিছে তাৰ ভিতৰত এই ঘটনা অন্যতৰ—শুনা যায় তুৰ্কীসকলৰ লগত এই যুদ্ধত তেওঁ গ্ৰীকসকলক দহ কোটি ডলাৰ ধাৰ দিছিল, সেই টকা আৰু তেওঁ কিৰাই পোৱা নাই।

বৃটিছৰ জাহাজেৰে গ্ৰীক সৈন্য এচিয়া মাইনৰ পালে গৈ। বৃটিছ, ফৰাচী আৰু আমেৰিকাৰ ৰণতৰীৰ পহৰাৰ দ্বাৰা ৰক্ষিত হৈ ১৯১৯ চনৰ মে মাহত তেওঁ-লোক স্মাৰ্ণাত নামিল গৈ। পাৰত নমাৰ লগে লগে তুৰস্কক মিত্ৰপক্ষই দান দিয়া এই গ্ৰীক সৈন্যসকলে একেবাৰে ভয়াবহ ধৰণৰ নৰহত্যা আৰু অত্যাচাৰ আৰম্ভ কৰি দিলে। এনে এক বিভীষিকাৰ ৰাজত্ব এওঁলোকে সৃষ্টি কৰিলে যে তাকে দেখি যুদ্ধত অভ্যস্ত হৈ থকা পৃথিৱীৰ অৱসন্ন মন ভয়ত চিকাৰ খাই উঠিল। তুৰস্কত ই হ'ল একেবাৰে প্ৰত্যক্ষ। কাৰণ মিত্ৰপক্ষৰ হাতত তেওঁলোকৰ কি ভাল ভাল ফল সঞ্চিত হৈ আছে তাৰ স্বৰূপ এইবাৰে তুৰ্কীসকলে ভালকৈয়ে দেখা পালে। এনেদৰে তেওঁলোকক নিহত লাঞ্ছিত কৰিছে তেওঁলোকে আৰু কৰাইছে আকৌ তেওঁলোকৰেই পুৰণি শত্ৰু গ্ৰীকসকলৰ হতুৱাই সিদিনালৈকে যিসকল আছিল তেওঁ-তেওঁলোকৰেই অধীনস্থপ্ৰজা। তুৰ্কীসকলৰ হিয়াত ক্ৰোধৰ দাবানল জ্বলি উঠিল, দেশত জাতীয় আন্দোলন গঢ়ি উঠিল। কামাল পাছাক এই আন্দোলনৰ নেতা বুলি কোৱা হৈছিল যদিও প্ৰকৃতপক্ষে ইয়াৰ ইন্ধন যোগাইছিল স্মাৰ্ণা দখলকাৰী গ্ৰীক সৈন্যসকলেহে। তুৰ্কী সৈন্যবোৰৰ মাজত বহুতে সেই সময়লৈকে মন স্থিৰ কৰিব পৰা নাছিল কোন ফালে যাব, এইবাৰ তেওঁলোকো আহি আন্দোলনৰ পক্ষে যোগ দিলে যদিও তেতিয়া তাৰ অৰ্থ হৈছে, চুলতানৰ বিৰুদ্ধে থিয় হোৱা—কিয়নো চুলতানে ইতিমধ্যে কামাল পাছাক গ্ৰেপ্তাৰ কৰিবলৈ আদেশ জাৰি কৰিছে।

১৯১৯ চনৰ চেপ্তেম্বৰ মাহত আনাতোলিয়াৰ ভিতৰত চিবাচ নামৰ এখন ঠাইত প্ৰজাসকলৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ এখন কংগ্ৰেছৰ অধিৱেশন বহিল। এই সভাই তুৰ্কীসকলে যি নতুন প্ৰতিৰোধাত্মক যুঁজ কৰিছে, সি সঙ্গত বুলি অনুমোদন কৰিলে আৰু কামাল পাছাক সভাপতি হিচাবে লৈ এখন কাৰ্য্যকৰী কমিটি গঠন কৰিলে এখন জাতীয় সন্ধি পত্ৰও এওঁলোকে ৰচনা আৰু মঞ্জুৰ কৰিলে। তাত মিত্ৰপক্ষৰ লগত সন্ধিৰ চৰ্ত্ত যথাসম্ভৱ কম কৰি কোৱা হ'ল; এতেকে সেই সন্ধিৰ অৰ্থ হ'ল তুৰস্কৰ পূৰ্ণ স্বাধীনতা। এইবোৰ দেখি শুনি কনষ্টাণ্টিনোপলত থকা চুলতানো ইয়াৰ দ্বাৰা প্ৰভাৱান্বিত হৈ পৰিল আৰু অলপ ভয়ো খালে। তেওঁ কথা দিলে পাৰ্লিয়ামেণ্টৰ এখন নতুন অধিৱেশন বহুৱাব। নিৰ্বাচনত 'চিবাচ' কংগ্ৰেছৰ সভ্যসকলে বেছিভাগ আসন দখল কৰি ললে। কনষ্টাণ্টিনোপলৰ কৰ্তৃপক্ষক কামালে বিশ্বাস নকৰিছিল। এই সদ্য নিৰ্ব্বাচিত সভ্যসকলক তেওঁ উপদেশ দিলে—কনষ্টাণ্টিনোপললৈ নেযাবলৈ। এওঁলোকে কিন্তু সেই কথা মানিবলৈ নুখুজিলে আৰু ৰাউফ বেগক দলপতি কৰি এওঁলোকে ইস্তানবুলত (এতিয়াৰপৰা

মই কনষ্টাণ্টিনোপলক এই নামেৰে উল্লেখ কৰিম) হাজিৰ হ'বলৈ । এওঁলোক তালৈ যোৱাৰ এটি কাৰণ আছিল এয়ে—মিত্ৰপক্ষই ইতিমধ্যে ঘোষণা কৰিছিল, নতুন পাৰ্লিয়ামেণ্টৰ অধিৱেশন যদি ইস্তানবুলত বহে আৰু চুলতান তাৰ সভাপতি হয় তেনেহলে সেই পাৰ্লিয়ামেণ্টক তেওঁলোকে বৈধ বুলি স্বীকাৰ কৰি লব । কামাল নিজেও প্ৰতিনিধি নিৰ্বাচিত হৈছিল—কিন্তু তেওঁ নগ'ল ।

১৯২০ চনৰ জানুৱাৰী মাহত ইস্তানবুল চহৰত নতুন পাৰ্লিয়ামেণ্টৰ অধিৱেশন বহিল । চিবাচ কংগ্ৰেছত যি 'জাতীয় সন্ধিপত্ৰ' ৰচনা কৰা হৈছিল এই পাৰ্লিয়ামেণ্টত অনতিপলমে সেইটোৱেই মঞ্জুৰ হ'ল বুলি গ্ৰহ কৰিলে । ইস্তানবুলত মিত্ৰপক্ষৰ যিসকল প্ৰতিনিধি উপস্থিত আছিল তেওঁলোক ইয়াত মুঠেই আনন্দিত নহ'ল, এই পাৰ্লিয়ামেণ্টে আৰু বহযোৰ কাম কৰিলে যিবো তেওঁলোকৰ মনঃপুত নহ'ল । এতেকে বিছুৰ আৰু আন আন ঠাইত তেওঁলোকে যি কুকৌশল চলাই আহিছিল, ছয় সপ্তাহ পিছত ইয়াতো তেওঁলোকে সেইটোকে প্ৰয়োগ কৰিলে । ইংৰাজ সেনাপতিয়ে সৈন্যবাহিনী লৈ ইস্তানবুলত প্ৰৱেশ কৰিলেহি । গৈ চহৰ দখল কৰিলে, তাত সামৰিক আইন জাৰি হ'ল, বাইক বেগৰে সৈতে চল্লিশজন জাতীয়তাবাদী প্ৰতিনিধিক গ্ৰেপ্তাৰ কৰিলে ; আৰু তেওঁলোকক মাল্টা দ্বীপলৈ নিৰ্বাচিত কৰি পঠিয়ালে । বৃটিছসকলৰ এই নগ্ন আচৰণ আন একোৱেই নাছিল—অকল ইয়াৰ দ্বাৰাই তুৰস্কক ভদ্ৰভাৱে এইটোকেই বুজাই দিলে যে "জাতীয় সন্ধিপত্ৰখন' মিত্ৰপক্ষৰ-ঠিক মনঃপুত হোৱা নাই ।

তুৰ্কীসকল আকৌ বৰ উত্তেজিত হৈ পৰিল । এইবাৰ সকলোৱেই স্পষ্টভাৱে বুজি পালে চুলতান একেবাৰে বৃটিছৰ হাতৰ পুতলা হৈ পৰিছে । বহুতো তুৰ্কী প্ৰতিনিধি পলাই আংকোৰালৈ গল । তাত পাৰ্লিয়ামেণ্টৰ অধিৱেশন বহিল ; এই পাৰ্লিয়ামেণ্টে নিজৰ নামাকৰণ কৰিলে 'তুৰ্কীৰ জাতীয় মহাসভা' ("Grand National Assembly of Turkey") । এই মহাসভাই নিজকে দেশৰ শাসন-কৰ্ত্তা বুলি প্ৰচাৰ কৰিলে ; ঘোষণা কৰিলে । বৃটিছসকলে যিদিনাই ইস্তানবুল চহৰ দখল কৰিছে সেইদিনাৰপৰাই চুলতান আৰু তেওঁৰ চৰকাৰৰ কৰ্তৃত্ব শেষ হৈ গৈছে ।

চুলতানে ইয়াৰ উত্তৰত কামাল পাশ্বাক আৰু আন আন সভ্যসকলক 'আইনৰ আশ্ৰয় বহিৰ্ভূত দুৰ্বৃত্ত' বুলি ঘোষণা কৰি দিলে, আৰু তেওঁলোকৰ প্ৰতি মৃত্যুদণ্ডৰ আদেশ জাৰি কৰিলে । ইয়াৰ উপৰিও তেওঁ প্ৰচাৰ কৰিলে, কামালক আৰু তেওঁৰ আন আন সহকৰ্মীসকলক কাবোবাক যদি কোনোবাই নিহত কৰে তেন্তে সেইটো এটা ধৰ্মগত কৰ্ত্তব্য পালন কৰা হব, আৰু সেইজনে তাৰ কাৰণে ইহলোক আৰু পৰলোকত পুণ্যৰ অধিকাৰী হব । মনত ৰাখিবা, এই চুলতানেই আকৌ খলিফা, অৰ্থাৎ মুছলমানসকলৰ ধৰ্মগুৰুও আছিল । তেওঁৰ নিজৰ মুখেদি এই নৰহত্যাৰ প্ৰকাশ্য আবেদন—ই বৰ ভয়ঙ্কৰ কথা । কামাল পাশ্বা কেৱল পলাতক ৰাজ বিদ্ৰোহী নহয়—ধৰ্মদ্ৰোহী পতিত লোক, যি কোনো ধৰ্মান্ধ বা ধৰ্মোন্মাদ লোকেই তেওঁক অবাধে হত্যা কৰিব পাৰে । জাতীয়তাবাদীসকলক দমিবলৈ কৰিবৰ কাৰণে তেওঁৰ য'ত যিমানখিনি শক্তি আছিল সকলো প্ৰয়োগ কৰিলে । তেওঁলোকৰ বিৰুদ্ধে তেওঁ এখন জেহাদ বা ধৰ্মযুদ্ধ ঘোষণা কৰিলে, তেওঁলোকৰ লগত যুঁজ

কৰিবৰ কাৰণে অসামৰিক প্ৰজাসকলৰ লৈ এটি 'খলিফাৰ সৈন্যবাহিনী' গঠন কৰিলে। দেশৰ চাৰিওফালে ধৰ্মপ্ৰচাৰকসকলক পঠাই দিলে। তেওঁলোকে এওঁবিলাকৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবৰ কাৰণে জনসাধাৰণক উত্তেজিত কৰিব ধৰিলে, সকলোতে বিদ্ৰোহে দেখা দিলে, কিছুদিন ধৰি তুৰস্কৰ সকলো ঠাইতে গৃহযুদ্ধ চলিব ধৰিলে। ই অতি নৃশংস যুদ্ধ, এখন চহৰৰ লগত আন এখন চহৰৰ যুদ্ধ, ভাইৰ লগত ভাইৰ যুদ্ধ, দুয়ো পক্ষই সেই যুদ্ধত একেবাৰে নিৰ্মম নিষ্ঠুৰতা দেখুৱাব ধৰিলে।

ইফালে আকৌ স্মার্নাত যিসকল গ্ৰীক আহি খোপনি পুতিছিল, তেওঁলোকে এনেভাৱ দেখুৱাব ধৰিলে যেন তেওঁলোকেই দেশৰ চিৰকলীয়া গৰাকী, আৰু সেই গৰাকীও বৰ বৰ্বৰ গৰাকী। বহুতো উৰ্বৰ উপত্যকাৰ মাটি তেওঁলোকে শস্যহীন পথাৰত পৰিণত কৰিলে। হাজাৰ হাজাৰ গৃহহীন তুৰ্কীক দেশৰপৰা খেদি পঠিয়ালে। তেওঁলোকৰ সেই অগ্ৰগতিত তুৰ্কীসকলে কোনো বাধাই জন্মাব নোৱাৰিলে।

জাতীয়তাবাদীসকলৰ পক্ষে সেইটো এটা চৰম সঙ্কটৰ মুহূৰ্ত। দেশৰ মাজত গৃহযুদ্ধ চলিছে, সেই যুদ্ধত ধৰ্মৰ অনুশাসন তেওঁলোকৰ বিৰুদ্ধে আছে, ইফালে আকৌ এটি বিদেশী সৈন্যৰ অভিযান তেওঁলোকৰ ফালে আগবাঢ়ি আহিছে; আৰু সেই চুলতান আৰু গ্ৰীক সৈন্য দুয়োৰে শক্তি যোগাইছে প্ৰবল মিত্ৰ শক্তিয়ে। জাৰ্মানীৰ পৰাজয়ৰ ফলত এতিয়া জগত জুৰি তেওঁলোকৰেই প্ৰভুত্ব। তথাপি কামাল দমি নগ'ল। তেওঁৰ অনুগামীসকলৰ প্ৰতি তেওঁৰ বাণী আছিল—"বিয়া হয় নহয় নিশ্চিহ্ন হৈ যাম।" এজন আমেৰিকাৰ লোকে তেওঁক এই সময়ত এদিন সুধিছিল—জাতীয়তাবাদীসকল যদি হাৰি যায় তেনেহলে তেওঁ কি কৰিব। কামালে উত্তৰ দিছিল—"জীৱন আৰু স্বাধীনতাৰ কাৰণে চৰম আত্মোৎসৰ্গ কৰিব পাৰে যি জাতিয়ে তেওঁলোক হাৰিব নোৱাৰে। হাৰে যদি বুজিব লাগিব সেই জাতিৰ মৃত্যু হৈছে।"

তুৰস্কৰ কাৰণে মিত্ৰ পক্ষই যি সন্ধিপত্ৰ প্ৰস্তুত কৰিছিল ১৯২০ চনৰ আগষ্ট মাহত সেইটো প্ৰকাশ কৰা হ'ল। ইয়াৰ নাম আছিল চেভাৰ্চৰ সন্ধি। এই সন্ধিৰ অৰ্থ আছিল তুৰস্কৰ স্বাধীনতাৰ অৱসান, স্বাধীন জাতি হিচাবে তুৰস্কৰ প্ৰতি ইয়াত একেবাৰে মৃত্যুদণ্ড ঘোষণা কৰা হৈছিল। এই সন্ধিমতে দেশখন কাটি খণ্ড খণ্ড কৰা হৈছিল, ইস্তানবুল চহৰৰ মাজলৈকে এটি মিত্ৰ পক্ষীয় কমিচন বহি থাকিব, দেশৰ ওপৰত কৰ্তৃত্ব কৰিব সম্ভিত তাৰ ব্যৱস্থা হৈছিল। দেশ জুৰি শোকৰ ছাঁয়াই আবৰি ধৰিলে; এদিন দেশজুৰি জনসাধাৰণে প্ৰাৰ্থনা আৰু হৰতাল কৰি অৰ্থাৎ সকলো কাম-বন বন্ধ ৰাখি, জাতীয় শোক প্ৰকাশ দিৱস পালন কৰিলে। বাতৰি কাকতসমূহৰ চাৰিওফালে ক'লা বেখা ছপাই দিয়া হ'ল। কিন্তু সেইটো হলে হব কি? চুলতানৰ প্ৰতিনিধিসকলে সেই সন্ধিপত্ৰত স্বাক্ষৰ কৰি বহি থাকিল। জাতীয়বাদীসকলে স্বভাৱতেই এই সন্ধিক ঘৃণাৰে প্ৰত্যাখ্যান কৰিলে আৰু সন্ধিপত্ৰখন জনসাধাৰণৰ আগত প্ৰকাশ কৰাৰ ফলত তেওঁলোকৰ শক্তি বাঢ়ি উঠিল। দলে দলে তুৰ্কীসকলে তেওঁলোকৰ দলত যোগ দিলে—এই চৰম দুৰ্গতিৰপৰা দেশক ৰক্ষা কৰা তেওঁলোকেই একমাত্ৰ লোক।

প্ৰশ্ন হ'ল, এতিয়া এই বিদ্ৰোহমুখী তুৰ্কীসকলৰ ওপৰত সেই সন্ধি জাপি কৰিব কোনে ? মিত্ৰপক্ষই নিজে সেইকাম কৰিবলৈ ৰাজি নহয়। তেওঁলোকৰ সৈন্য-বাহিনী তেতিয়া ভাঙি দিয়া হৈছে। তেওঁলোকৰ নিজৰ দেশৰ ভিতৰত কাম লোৱা সৈন্য আৰু বনুৱাসকল ক্ৰোধান্বিত হৈ আছে; তাৰ ধেঁচা চম্ভ লোতেই তেওঁলোক অস্থিৰ। পশ্চিম য়ুৰোপৰ দেশসমূহত তেতিয়াও বতাহত বিপ্লৱৰ সুৰ ভাহি ফুৰিছে তাৰ উপৰিও আকৌ মিত্ৰ পক্ষই নিজৰ ভিতৰতে ইতিমধ্যে কাজিয়া আৰম্ভ হৈছে, যুদ্ধত যি লুটৰ বস্তু মিলিছে, তাৰ কোনে কিমানখিনি ভাগ পাব তাকে লৈ তেওঁ-লোকে কাজিয়া কৰিছে। প্ৰাচ্য দেশত ইংলেণ্ড এটি ভয়ঙ্কৰ অৱস্থাৰ মাজত পৰিছে, ফ্ৰান্সৰ দশাও তদনুৰূপ। চিৰিয়া আছিল ফ্ৰান্সৰ মেনডেট তাত উৎকট অসন্তোষ আৰু উত্তেজনা চলিছে, যিকোনো মুহূৰ্ততে যুদ্ধ লগাৰ সম্ভাৱনা। মিছৰত ইতি-মধ্যে এটি বিদ্ৰোহ হৈ গৈছে, তাৰ প্ৰচণ্ড ৰক্তপাত হৈছে সেই বিদ্ৰোহ ইংৰাজ-সকলে দমন কৰিছে। ভাৰতবৰ্ষত ১৮৫৭ চনৰ পিছত প্ৰথম আৰু নতুন কৰি এটা বিৰাট বিদ্ৰোহৰ আয়োজন গঢ়ি উঠিছে, অৱশ্যে এইবাৰৰ বিদ্ৰোহ অহিংস বিদ্ৰোহ, এইটো হৈছে গান্ধীজীৰ পৰিচালিত অসহযোগ আন্দোলন, যি কেইটি—কথাক আশ্ৰয় কৰি এই আন্দোলন গঢ়ি উঠিছিল তাৰ মাজত প্ৰধান হৈছে খলিফাৰ পদ বা 'খিলাফট' সংক্ৰান্ত সমস্যা আৰু তুৰস্কৰ প্ৰতি মিত্ৰপক্ষৰ অন্যায় আচৰণ।

এতেকে দেখিছা; মিত্ৰ পক্ষই নিজে যি সন্ধি পত্ৰ ৰচনা কৰিছিল সেইটো তেতিয়া তুৰস্কৰ ওপৰত জোৰ কৰি খটুৱাৰ পৰা অৱস্থাৰ নহয়—আকৌ তুৰ্কী জাতীয়তাবাদীসকলে দেখা দেখিকৈ সেইটো অগ্ৰাহ্য কৰি চলিব, তাকো তেওঁলোকে সহ্য কৰিবলৈ ৰাজি নহয়। বিপদত পৰি তেওঁলোকে পুৰণি বন্ধু ভেনিজেলচ আৰু আহাৰকৰ শৰণ ললে। গ্ৰীচৰ পক্ষৰ হৈ এই কামৰ ভাৰ লবলৈ তেওঁলোক দুয়োজন সম্পূৰ্ণ প্ৰস্তুত আছিল। তুৰ্কীসকলৰ মেৰুদণ্ড ভাঙি পৰিছে; তেওঁলোকে বিশেষ বাধা-বিঘিনিৰ সৃষ্টি কৰিব পাৰিব এনে আশঙ্কা কোনেও কৰা নাছিল। আৰু এটিয়া মাইনৰ ঠাইডোখৰো লোভ কৰিবলগীয়া নিশ্চয়। এতেকে আৰু বহুতো গ্ৰীক সৈন্য সমুদ্ৰত পাৰি দি তুৰস্কত গৈ উপস্থিত হ'ল। গ্ৰীক-তুৰ্কীৰ যুদ্ধ এইবাৰ বেছ ভাল দৰেই আৰম্ভ হ'ল। ১৯২০ চনৰ গ্ৰীষ্মকালৰপৰা আৰম্ভ কৰি হেমন্তকাললৈকে গ্ৰীকসকলৰেই জয়লাভ হ'ল। তুৰ্কীসকলক খেদি তেওঁলোক আগবাঢ়ি গ'ল। কামাল পাচা আৰু তেওঁৰ সহকৰ্মীসকলৰ তেতিয়া সম্বল মাথোন সৈন্যবাহিনীৰ কিছুমান ভগা-ছিগা টুকুৰা। তাকে লৈয়েই এটি শক্তিশালী বাহিনী গঢ়ি তুলিবৰ কাৰণে তেওঁলোকে প্ৰাণপণে চেষ্টা কৰিব ধৰিলে। সাহায্যৰ প্ৰয়োজন যেতিয়া তেওঁলোকৰ সকলোতকৈ বেছি হৈ পৰিছে, ঠিক এনে সময়তে তেওঁলোকে সাহায্য পালে—অতি সুন্দৰ সাহায্য। চোভিয়েট ৰুচিয়াই তেওঁলোকক অস্ত্ৰ-শস্ত্ৰ আৰু টকা যোগাবলৈ আগবাঢ়ি আহিল। ইংলেণ্ড আছিল এওঁলোক উভয়ৰে শত্ৰু।

কামালৰ শক্তি বাঢ়িবলৈ ধৰিলে। যুদ্ধত কোন পক্ষৰ জয় হব সেই বিষয়ে এইবাৰ মিত্ৰপক্ষৰ মনতো সন্দেহ দেখা দিলে। সন্ধিৰ কাৰণে এওঁলোক কিছুমান ভাল চৰ্ত দিলে। কিন্তু সেই চৰ্ত কামাল পন্থীসকলৰ মনঃপুত নহ'ল। তেওঁলোকে সেইবোৰে প্ৰত্যাখ্যান কৰিলে। এতেকে তেতিয়া মিত্ৰ পক্ষই গ্ৰীক-তুৰ্কী যুদ্ধৰ

লগত সকলো সম্পর্ক ত্যাগ কৰিলে। নিজক নিৰপেক্ষ বুলি ঘোষণা কৰিলে। গ্রীক্‌সকলক তেওঁলোকেই আনি এই যুদ্ধৰ মাজত সুমুৱাইছে, এতিয়া তেওঁলোকক দায়ত পেলাই নিজে সম্পূর্ণ আঁতৰি থাকিল। অকল সেয়ে নহয় ফ্রান্স, আনকি ইটালীয়েও এইবাৰ গোপনে চেষ্টা কৰিব ধৰিলে তুৰস্কৰ লগত খাতিৰ পকাব পৰা যায় নে নেযায়। ইংৰাজসকল তেতিয়াও কম-বেছি পৰিমাণে গ্রীক্‌সকলৰ পক্ষেই থাকিল অৱশ্যে চৰকাৰীভাৱে নহয়।

১৯২১ চনৰ গ্রীষ্মকালত গ্রীক্‌সকলে তুৰস্কৰ ৰাজধানী আঙ্গোৰা চহৰ দখল কৰিবলৈ এবাৰ বিশেষ চেষ্টা কৰিলে। এখনৰ পিছত এখনকৈ চহৰ দখল কৰি কৰি তেওঁলোক আঙ্গোৰাৰ নিচেই ওচৰ পালেহি—শেষত চাকাৰিয়া নদীৰ পাৰত তুৰ্কীসকলে তেওঁলোকক বাধা দিলে। এই নদীৰ পাৰত তিনি সপ্তাহ জুৰি দুয়োপক্ষৰ যুঁজ চলিল। বহু শতাব্দীৰ সঞ্চিত জাতিগত বিদ্বেষলৈ অবিৰাম যুদ্ধ কৰিব ধৰিলে তেওঁলোকে, পৰস্পৰৰ প্রতি তিলমানো কৰুণা কোনেও কাকো নেদেখুৱালে। ধৈর্য আৰু সহন শক্তিৰ ই এটা ভয়ঙ্কৰ পৰীক্ষা। তুৰ্কীসকলে প্রাণপণে যুঁজি কোনোমতে তিষ্ঠি আছে এনে সময়তে গ্রীকসকল আশা এৰি পিচুৱাই গ'ল। গ্রীক্ সৈন্যৰ যি নীতি অনুযায়ী পিচুৱাই যোৱাৰ লগে লগে তেওঁলোকে য'তে যি পালে সকলো পুৰি আৰু নষ্ট কৰি গ'ল—দুশ মাইল জোৰা স্মার্নাৰ উর্বৰা মাটি একেবাৰে মৰুভূমিত পৰিণত হৈ গ'ল।

চাকাৰিয়া নদীৰ পাৰত হোৱা যুদ্ধত তুৰস্ক কোনোৰকমে জিকিছিল। যুদ্ধৰ চৰম জয় এইটো নহয়। তথাপি আধুনিক যি কেইখন যুদ্ধত ইতিহাসৰ গতি নির্দ্ধাৰিত হৈছে এইখন তাৰ অন্যতম। যুদ্ধৰ সোঁতে এইখিনিৰপৰাই গতি সলালে। অতীত কালত দুহেজাৰ বছৰ বা তাৰো বেছিকাল ধৰি প্রাচ্য আৰু পাশ্চাত্য জগতৰ মাজত বাৰে বাৰে মহা সংঘাত ঘটিছে; এচিয়া মাইনৰৰ প্রতি ইঞ্চি মাটি মানুহৰ ৰক্তেৰে ৰঞ্জিত হৈছে; এই যুদ্ধখনো তাৰ ভিতৰৰে এখন।

যুদ্ধত দুয়োপক্ষৰ সৈন্যই অৱশ হৈ পৰিছিল, এইবাৰ দুয়োজনেই স্থিৰ হৈ বহি আকৌ নিজক পৰিপুষ্ট আৰু পুনর্গঠিত কৰি লব ধৰিলে। কিন্তু কামাল পাচাৰ ভাগ্য তেতিয়া ফিৰি আহিছে। ফৰাচী চৰকাৰে আঙ্গোৰাৰ লগত সন্ধি কৰিলে। আঙ্গোৰা আৰু চোভিয়েটৰ মাজতো সন্ধি হ'ল। ফ্রান্সে তেওঁক তুৰস্কৰ প্রতিভূ বুলি স্বীকাৰ কৰিলে; ইয়াৰ কাৰণে মোস্তাফা কামালৰ মনৰ জোৰ বৰকৈ বাঢ়ি গ'ল। প্রকৃত শক্তিও বাঢ়িল। চিৰিয়াৰ সীমান্তত যি তুৰ্কী সৈন্য বহুৱাই ৰখা হৈছিল, এই সন্ধিৰ ফলত তেওঁলোকক আৰু তাত ৰখাৰ আৱশ্যক নহ'ল। তেওঁলোকক তেতিয়া গ্রীকৰ লগত যুদ্ধত লগোৱা সম্ভৱ হ'ল। বৃটিছ চৰকাৰে তেতিয়াও পুতলা চুলতান আৰু ইস্তাম্বুলৰ জৰাজীর্ণ চৰকাৰক সমর্থন কৰিছিল। ফ্রান্সৰ লগত হোৱা সন্ধিটোৱে কিন্তু তেওঁলোকৰ গালত চৰ বহুৱাই দিলে।

সৰতনে প্রস্তুত হৈ ১৯২২ চনৰ আগষ্ট মাহত তুৰ্কী সৈন্যই অতর্কিতে গ্রীক্ সৈন্যক আক্রমণ কৰিলে, একেবাৰে ধুমুহাৰ দৰে তেওঁলোকক উফৰাই নি সমুদ্রত

পেলাই দিলে। আঠ দিনত গ্ৰীক্ সৈন্য ১৬০ মাইল পিচুৱাই গ'ল। কিন্তু গৈ থাকোঁতেও তেওঁলোকে সেই পৰাজয়ৰ প্ৰতিশোধ ললে। যোৱাৰ বাটত যিমান তুৰ্কী পুৰুষ, নাৰী, শিশু তেওঁলোকৰ আগত পৰিল, সকলোকে বিনা বিচাৰে হত্যা কৰি গ'ল। নিৰ্দয়ভাৱ কামৰপৰা তুৰ্কীসকলেও কম কৰা নাই—তেওঁলোকেও গ্ৰীক্ সৈন্যৰ যিমানক পালে মাৰি পেলালে। যুদ্ধৰ বন্দী বুলি কাকো জীয়াই নোৰাখিলে। কিন্তু তথাপি বন্দী যিসকল হৈছিল তাৰ ভিতৰত আছিল গ্ৰীচৰ প্ৰধান সেনাপতি আৰু তেওঁৰ সহকাৰীসকল। গ্ৰীক্ সৈন্যৰ বেছিভাগ লোকেই স্মাৰ্ণাৰপৰা সমুদ্ৰ পথেদি পলাই গ'ল। কিন্তু স্মাৰ্ণা চহৰখনৰ অধিকাংশ তেওঁলোকে পুৰি ছাই কৰি গ'ল।

এই যুদ্ধ জয়ৰ পিছতে কামাল পাচাই তেওঁৰ সৈন্য বাহিনীক ইস্তাম্বুলৰ ফালে পৰিচালিত কৰিলে। চহৰৰ কাষত চানক নামে এখন ঠাইত বৃটিছ সৈন্যই তেওঁলোকক বাধা দি গতিৰোধ কৰিলে। তেতিয়া ১৯২২ চনৰ চেপ্তেম্বৰ মাহ। তেতিয়া কেইদিনমান ধৰি জল্পনা-কল্পনা শুনা গ'ল—এইবাৰ তুৰস্কৰ লগত বৃটেনৰ যুদ্ধ লাগিব। কিন্তু সেই যুদ্ধ নহ'ল—তুৰ্কীসকলে যি যি দাবী কৰিছিল, বৃটেনে তাৰ প্ৰায় সকলোকেই মানি ললে। দুয়ো পক্ষৰ মাজত এখন যুদ্ধবিৰতি পত্ৰ স্বাক্ষৰিত হ'ল, সেই পত্ৰত মিত্ৰপক্ষই স্পষ্ট প্ৰতিশ্ৰুতি দিলে—থ্ৰেচত তেতিয়াও যিমান গ্ৰীক্ সৈন্য আছে—সেই সকলোকে তেওঁলোকে সেই দেশ এৰি গুচি যাবলৈ বাধ্য কৰিব। নবীন তুৰস্কৰ পিছত তেতিয়া চোভিয়েট ৰুচিয়াৰ পূৰ্ণ সমৰ্থন—তুৰস্কক সহায় কৰিবলৈ বুলি চোভিয়েট ৰুচিয়া আগবাঢ়ি আহিব পাৰে, সেয়ে এনে কোনো যুদ্ধ লগাবলৈ মিত্ৰ পক্ষৰ আগ্ৰহ নাছিল।

মুস্তাফা কামালৰ জয় হ'ল। ১৯১৯ চনৰ সেই মুষ্টিমেয় কেইজনমান বিদ্ৰোহী বীৰে এতিয়া ডাঙৰ ডাঙৰ দেশৰ প্ৰতিনিধিসকলৰ লগত সমান মৰ্যাদাৰে থিয় হৈ কথা কব ধৰিলে। বহুতো ঘটনাই এই বীৰসকলক ৰণ জয়ত সহায় কৰিছিল—যুদ্ধোত্তৰ যুগৰ প্ৰতিক্ৰিয়া, মিত্ৰপক্ষৰ নিজৰ ভিতৰত কাজিয়া, ভাৰতবৰ্ষ আৰু মিচৰৰ ভিতৰুৱা গোলমাল লৈ ইংৰাজসকলৰ বিদ্ৰুত ভাৱ, চোভিয়েট ৰুচিয়াৰ সাহায্য, ইংৰাজসকলৰ হাতত তুৰস্কৰ অপমান। কিন্তু ৰণজয় কৰাৰ বাবে এওঁলোকৰ সকলোতকৈ ডাঙৰ সম্বল হৈছিল, এওঁলোকৰ নিজৰ বজ্ৰ কঠিন সংকল্প, স্বাধীন হোৱাৰ উগ্ৰ কামনা, আৰু তুৰ্কী খেতিয়ক আৰু সৈন্যসকলৰ আচৰিত ৰণ নৈপুণ্য।

লুজোঁত শান্তি সন্মেলনৰ বৈঠক বহিল। মাহৰ পিছত মাহ ধৰি তাৰ আলোচনা চলিল। দুজন লোকৰ ভিতৰত অপূৰ্ব ৰণ যুদ্ধ লাগিল। ইংলেণ্ডৰ ফালে আছিল লৰ্ড কাৰ্জন। তেওঁ দাম্ভিক, তাৰ উপৰিও আনৰ ওপৰত প্ৰভুত্ব কৰাত অভ্যস্ত। তুৰস্কৰ ফালে আছিল ইচমৎ পাচা। অলপ কাণ সৰুৱ আৰু শান্ত হৈ হাঁহি হাঁহি বহি থাকে। যি কথা তেওঁৰ শুনিবৰ ইচ্ছা নাই—সেইটো কেতিয়াও নুশুনে—আৰু কাৰ্জন ধমক দি থাকে। কাৰ্জন ভাৰতবৰ্ষত বৰলাট হৈ গৈছে, সেই ধৰণত তেওঁ অভ্যস্ত—তদুপৰি এনেয়েও তেওঁ বৰ 'জোৰবাৰ' মানুহ। তেওঁ বৰকৈ তৰ্জন-গৰ্জন কৰি ইচমৎ পাচাক কাবু কৰিবলৈ চেষ্টা

কৰিলে। কিন্তু ইচমৎ পাছাৰ তাত কোনো বিশেষত্ব দেখা নগ'ল—তেওঁ একো কাণেৰে নুশুনে—কেৱল হাঁহি থাকে। শেষত কার্জনে খঙত অস্থিৰ হৈ 'ধূৰ্ত্ত' বুলি ওলাই গ'ল—সম্মেলন ভাঙি গ'ল। কিছুদিনৰ পিছত আকৌ সন্মেলন বহিল। কাৰ্জনৰ সলনি এইবাৰ আন এজন লোক ইংলেণ্ডৰ প্ৰতিনিধি হৈ আহিল। 'জাতীয় চুক্তি পত্ৰ'ত তুৰ্কীসকলে যি যি দাবী জনাইছিল তাৰ কেৱল এটিৰ বাহিৰে সকলোবোৰকে ইংৰাজে স্বীকাৰ কৰি ললে। ১৯২৬ চনৰ জুলাই মাহত লুজেঁৰ সন্ধি স্বাক্ষৰিত হ'ল। এইবাৰো চোভিয়েট ৰুচিয়াৰ সমৰ্থন আৰু মিত্ৰপক্ষীয় দেশসমূহৰ পৰস্পৰ ঈৰ্ষাৰ ফলত তুৰস্কৰ কাম সহজ হৈ পৰিল।

বিজয়ী গাজী কামাল পাছা, যি কেইটা ফল আশা কৰি যুদ্ধত নামিছিল তাৰ প্ৰায় সকলোবোৰেই তেওঁৰ কৰায়ত্ব হ'ল। কিন্তু প্ৰথমৰপৰাই তেওঁ এটা বৰ ডাঙৰ সুবুদ্ধিৰ পৰিচয় দিছিল, তেওঁৰ আচল দাবী বিখিনি সেইখিনিকেহে বাহিৰত ঘোষণা কৰিছিল। এতিয়া জয়ৰ সময়তো তেওঁ সেই দাবী অপৰিবৰ্ত্তিত স্বৰূপে ৰাখিলে। আৰব, ইৰাক, পেলেষ্টাইন, চিৰিয়া আদি অতুৰ্কী দেশসমূহৰ ওপৰত তুৰ্কীয় প্ৰভুত্ব প্ৰতিষ্ঠিত হ'ব—এই কল্পনা তেওঁ বৰ্জন কৰিছিল। তেওঁ বিচাৰিছিল তুৰ্কীসকলৰ যি বাসভূমি সেই খাচ তুৰস্ক দেশখনক স্বাধীন কৰি ল'ব। তুৰ্কীসকলে আন কোনো জাতিৰ ওপৰত হস্তক্ষেপ কৰক—এইটো তেওঁৰ ইচ্ছা নাছিল। আন কোনো বিদেশী আহি তুৰস্কৰ ওপৰত হস্তক্ষেপ কৰাটোও তেওঁ সহ্য কৰিবলৈ ৰাজী নাছিল। এইদৰে তুৰস্কক তেওঁ এখন সুসংহত, এক জাতি প্ৰধান দেশত পৰিণত কৰিলে। ইয়াৰ কিছুদিন পিছত গ্ৰীক্‌সকলৰ প্ৰস্তাৱ অনুসৰি এই দুই দেশৰ মাজত এক অদ্ভুত ধৰণৰ লোক-বিনিময় কৰি লোৱা হ'ল। আনাতোলিয়াত তেতিয়াও গ্ৰীক্‌সকলৰ বসতি আছিল, তেওঁলোকৰ সকলোকে গ্ৰীচলৈ পঠিয়াই দিয়া হ'ল—তাৰ সলনি গ্ৰীচৰপৰা তাত থকা তুৰ্কীসকলক আঁতৰাই অনা হ'ল। গ্ৰীচ আৰু তুৰস্কলৈ মুঠ পোন্ধৰ লাখ লোকক এনেভাৱে বিনিময় কৰা হ'ল। প্ৰায় প্ৰত্যেকটি পৰিয়ালেই বহু পুৰুষ, বহু শতাব্দী ধৰি যথাক্ৰমে আনাতোলিয়া আৰু গ্ৰীচত বসবাস কৰি আহিছে। মানুহক তাৰ শিপা উভাৰি আন ঠাইলৈ চালান দিয়াৰ ই এক অপূৰ্ব কাহিনী। তুৰস্কৰ অৰ্থনৈতিক জীৱন ইয়াৰ ফলত বিপদগ্ৰস্ত হৈ পৰিল। বিশেষকৈ তাৰ কাৰণ হ'ল তুৰস্কৰ ব্যৱসায় বাণিজ্য বেছিভাগ চলাইছিল গ্ৰীক্‌সকলে। কিন্তু লোক বিনিময়ৰ ফলত তুৰস্ক আগতকৈও বেছি একজাতি প্ৰধান দেশত পৰিণত হ'ল। এতিয়া য়ুৰোপত ইয়াৰ একজাতি প্ৰধান দেশ আজিকালি বোধকৰোঁ বেছি নাই।

মই কৈছিলোঁ লুজেঁৰ সন্ধিত তুৰ্কীসকলৰ সকলো দাবীকে মানি লোৱা হৈছিল—কেৱল এটিৰ বাদে। সেইটো হৈছে 'মিচাৰুল'—যা ইৰাক সীমান্তৰ কাষত অৱস্থিত মুচল প্ৰদেশটি। এইখন লৈ কি কৰা হ'ব সেই বিষয়ে দুয়োপক্ষৰ মত নিমিলিল। এতেকে এই কথাৰ মীমাংসাৰ ভাৰ দিয়া হ'ল লীগ অব নেচনচৰ ওপৰত, মুচলত তেলৰ খনি আছে, তাতোকৈয়ো ইয়াৰ গুৰুত্ব বেছি হৈছে অৱস্থিতিৰ কাৰণে। যুদ্ধনীতিৰ ফালৰপৰা এই অংশৰ মূল্য আছে। মুচলৰ পৰ্বতশ্ৰেণীৰ হাতত থকা মানেই হ'ল তুৰস্ক, ইৰাক, পাৰস্য আৰু ৰুচিয়াৰ অন্তৰ্ভুক্ত এলেকা

ককেচাচ অঞ্চল পৰ্যন্ত কিছু পৰিমাণে হাতৰ মুঠিত ৰখাৰ সুযোগ পোৱা। সেই কাৰণে তুৰস্কৰ পক্ষে এইখন দখল কৰা বৰ দৰকাৰ। আকৌ বৃটেনৰ পক্ষেও ইয়াক হাতকৰা সমানেই প্ৰয়োজন। ভাৰতবৰ্ষলৈ অহাৰ পথ আৰু বিমান পথ মুকলি কৰি ৰখাৰ কাৰণে আৰু চোভিয়েট ৰুচিয়াৰ লগত যুদ্ধ আক্ৰমণ আৰু আত্মৰক্ষা দুয়োৰে পথ স্বৰূপ। মানচিত্ৰৰ ফালে চকু দিলেই বুজিব পাৰিবা—অৱস্থিতিৰ ফালৰপৰা মুচল বৃটেনৰ হাতত থকা উচিত। তুৰ্কীসকলে এইটো মানি লবলৈ ৰাজী নহ'ল। এতেকে আকৌ যুদ্ধৰ সম্ভাৱনাই দেখা দিলে। ঠিক এই সময়তে ১৯২৫ চনৰ ডিচেম্বৰ মাহৰ ৰুচিয়াৰ লগত তুৰস্কৰ এটা নতুন সন্ধি হ'ল। শেষলৈ আঙ্গোৰা চৰকাৰে তেওঁলোকৰ জেদ এৰি দিলে, মুচল নতুন ৰাজ্য ইৰাকৰ অন্তৰ্ভুক্ত হ'ল। ইৰাক দেশখন নামত স্বাধীন, কিন্তু এতিয়ালৈকে এইখন বৃটিছ কৰ্মচাৰী আৰু উপদেষ্টাৰে ভৰি আছে।

গ্ৰীকসকলৰ ওপৰত মুস্তাফা কামালৰ বিৰাট জয়লাভৰ বাতৰি পাই আমি ভীষণ উল্লাসিত হৈ পৰিছিলোঁ—সেই কথা মোৰ স্পষ্ট মনত আছে—সি আজি প্ৰায় এঘাৰ বছৰ আগৰ কথা। সেই যুদ্ধত নাম 'অফিউন কাৰাহিচাৰ'ৰ যুদ্ধ। ১৯২২ চনৰ আগষ্ট মাহত এই যুদ্ধ হয়। এই যুদ্ধত কামালে গ্ৰীক সৈন্যৰ অগ্ৰগামী বাহিনীক ছেদেলি-ভেদেলি কৰি দিয়ে, গ্ৰীক্ সৈন্যক খেদি নি একেবাৰে স্মাৰ্ণা আৰু সমুদ্ৰত পেলাই দিয়েগৈ। আমি বছৰটো ভোগিয়া আছিলোঁ লক্ষ্নৌৰ ডিষ্ট্ৰিক্ট্ জেলত। তুৰ্কীসকলৰ এই জয়ত আমিও উৎসৱ পাতিছিলো। হাতৰ কাষত যি পাইছিলোঁ তাৰেই আটোমটোকাৰি কৰি আমাৰ জেলখানাৰ বেৰেকটো সজাইছিলোঁ। সন্ধিয়া আলোকসজ্জাৰো আয়োজন কৰিছিলোঁ; অৱশ্যে সি আছিল বৰ নিঃকিন আয়োজন।

১৫৭

মুস্তাফা কামাল ঃ অতীতক অতিক্ৰম কৰি অভিযান

৮ মে ১৯৩৩

পৰাজয়ৰ ঘনঘোৰ এন্ধাৰ নিশাৰপৰা আৰম্ভ কৰি জয়ৰ জেউতি ভৰা প্ৰভাতলৈকে তুৰস্কৰ ভাগ্য বিবৰ্ত্তন আমি দেখিলোঁ। দেখিলোঁ তেওঁলোকক দমন কৰিবলৈ শক্তিহীন কৰি পেলোৱাৰ উদ্দেশ্যেৰে যি কূটনীতি মিত্ৰপক্ষই, বিশেষকৈ বৃটিছসকলে অৱলম্বন কৰিছিল; তাৰ ফল হ'ল বিপৰীত। সেয়ে আঘাত পাই জাতীয়তাবাদীসকল শক্তিমান হৈ উঠিল—এওঁলোকক প্ৰতিৰোধ কৰাৰ সংকল্প তেওঁলোকৰ দৃঢ়তৰ হৈ পৰিল। মিত্ৰপক্ষই তুৰস্কৰ অঙ্গচ্ছেদ কৰিবলৈ আয়োজন কৰিলে, স্মাৰ্ণালৈ গ্ৰীক্ সৈন্য পঠোৱা হ'ল। ১৯২০ চনত মাৰ্চ মাহত বৃটিছসকলে তেওঁলোকৰ লগত এটি ৰাজনীতিৰ কৌশল খেলিলে, জাতীয়তাবাদী নেতাসকলক গ্ৰেপ্তাৰ কৰি নিৰ্বাচনত পঠিয়ালে। বৃটিছসকলে তেওঁলোকৰ হাতৰ পুতলা চুলতানক জাতীয়তাবাদীসকলৰ বিৰুদ্ধে থিয় কৰাই সহায় কৰিব ধৰিলে—এই প্ৰত্যেকটো কথাই তুৰ্কীসকলৰ খং আৰু উৎসাহৰ জুইত ঘিউ ঢালি দিলে। বীৰজাতিক অপমানিত আৰু ধ্বংস কৰিব গ'লে এনে ফল নিশ্চিত।

মুস্তাফা কামাল আৰু তেওঁৰ সহকৰ্মীসকলৰ জয় হৈছে, সেই জয় লাভ কৰি তেওঁলোকে কি কৰিলে? পুৰণি যুগৰ এলাহুকলীয়া নীতিকে আকোঁৱা.লি ধৰি বহি থকা ধৰণৰ লোক কামাল পাছা নাছিল—তেওঁৰ ইচ্ছা তুৰস্কক একেবাৰে নতুন সাঁচত সজাৰ—কিন্তু সেই কাম কৰা সহজ নহয়। জয়লাভৰ পিছত দেশৰ জনসাধাৰণৰ মাজত তেওঁৰ প্ৰভাৱ প্ৰতিপত্তি বৰ বাঢ়ি গৈছিল, তথাপি তেওঁ অতি সাৱধানে এখোজ এখোজ কৰি আগুৱাব লগা হ'ল। বহুদিনীয়া যি সংস্কাৰ আৰু ধৰ্মৰ অনুশাসন জাতিয়ে পুৰণি কালৰপৰা মানি আহিছে তাৰ মূলোচ্ছেদ কৰা সহজ কথা নহয়। চুলতান আৰু খলিফা এই দুটি পদকেই কামালে শেষ কৰি দিব বিচাৰিলে। কিন্তু তেওঁৰ সহকৰ্মীৰ মাজত বহুতে এই কথাৰ সমৰ্থন নকৰিলে, সম্ভৱতঃ তুৰ্কীৰ জনসাধাৰণেও এই ধৰণৰ পৰিবৰ্ত্তনকে মনে মনে সমৰ্থন কৰা নাছিল। পুতলা-চুলতান ওৱাহিদুদ্দিন তেতিয়াও গাদীত বহি আছে। এইটো অৱশ্যে কাৰো ইচ্ছা নাছিল। তেওঁক সকলোৱে তেতিয়া দেশদ্ৰোহী বুলি ঘৃণা কৰে. বিদেশীৰ ওচৰত তেওঁ নিজৰ দেশক বিক্ৰী কৰি দিবলৈ চেষ্টা কৰিছিল।

আচল ক্ষমতা থাকিব ৰাষ্ট্ৰীয় পৰিষদৰ হাতত। কামালে কিন্তু কোনো আপোচ ব্যৱস্থা কৰিবলৈ ৰাজী নহয়, তেওঁ ধৈৰ্য ধৰি বহি থাকি সুযোগৰ কাৰণে বাট চাই থাকিল।

অইনবাৰৰ দৰে এইবাৰো সেই সুযোগ বৃটিছে সকলোই সৃষ্টি কৰি দিলে। লুজৌৰ শান্তি সন্মেলন বহিবলৈ যেতিয়া আয়োজন চলিছে, বৃটিছ চৰকাৰে ইস্তান-বুলত থকা চুলতানক সেই সন্মেলনত যোগ দিবলৈ আৰু শান্তিৰ চৰ্তৰ কাৰণে আলোচনা কৰিবলৈ প্ৰতিনিধি পঠাবলৈ নিমন্ত্ৰণ কৰি পঠিয়ালে লগতে অনুৰোধ জনালে তেওঁ যেন আকৌ আঙ্গোৰালৈও নিমন্ত্ৰণৰ কথা জনাই দিয়ে। আঙ্গোৰাত যি জাতীয় চৰকাৰ আছে—যুদ্ধত জয় হৈছে তেওঁলোকৰ, তেওঁলোকৰ প্ৰতি এনে তাচ্ছিল্যপূৰ্ণ আচৰণ আৰু জানি-শুনি সেই কামটো পুতলা-চুলতানক কৰিবলৈ ঠেলি দিয়াত তুৰস্কত বৰ চাঞ্চল্যৰ সৃষ্টি হ'ল, জনসাধাৰণো বৰ ক্ৰোধান্বিত হৈ উঠিল। তেওঁলোকৰ সন্দেহ হ'ল, বৃটিছ আৰু দেশদ্ৰোহী চুলতানৰ মাজত নিশ্চয়কৈ আকৌ নতুন কিবা চক্ৰান্ত চলিছে। দেশজুৰি এই উত্তেজনাৰ সুযোগ লৈ কাম সমাধা কৰি লবলৈ মুস্তাফা কামালে এক মুহূৰ্তও পলম নকৰিলে। তেওঁৰ কথা-মতেই ১৯২২ চনৰ নবেম্বৰ মাহত জাতীয় পৰিষদে চুলতানৰ পদবী বিলুপ্ত কৰি দিলে। খলিফাৰ পদবী তেতিয়াও বাহাল আছে, এওঁলোকে ঘোষণা কৰিছে যে সেই পদবী অটোমান বংশৰ লোকৰেই প্ৰাপ্য। ইয়াৰ কিছুদিন পিছত ভূতপূৰ্ব চুলতান ওৱাহিদুদ্দিনৰ নামত ৰাজদ্ৰোহৰ অভিযোগ অনা হ'ল। প্ৰকাশ্য বিচাৰৰ সন্মুখীন হোৱাতকৈ পলায়ন কৰাটোৱেই ভাল বুলি চুলতানে বিবেচনা কৰিলে আৰু ইংৰাজসকলৰ এখন এম্বুলেন্স গাড়ীত উঠি তেওঁ গোপনে পলাই গ'ল। সেই গাড়ীয়ে তেওঁক বৃটিছৰ যুদ্ধ-জাহাজত তুলি দিলে। জাতীয় পৰিষদে তেওঁৰ জ্ঞাতিভাই আব্দুল মজিদ এফেন্দীক নতুন খলিফাৰ পদত নিৰ্বাচিত কৰিলে। এওঁ হ'ল কেৱল ধৰ্মগুৰু, আনুষ্ঠানিক কামতহে এওঁৰ কৰ্তৃত্ব—ৰাজনৈতিক কোনো ক্ষমতাতেই তেওঁৰ হাত নাথাকিল।

ইয়াৰ পিছৰ বছৰ ১৯২৩ চন, তুৰ্কী প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা যথাৰীতি ঘোষণা কৰা হ'ল। আঙ্গোৰা তাৰ ৰাজধানী। মুস্তাফা কামাল তাৰ প্ৰেচিডেণ্ট নিযুক্ত হ'ল। ৰাষ্ট্ৰৰ সকলো ক্ষমতা তেওঁ নিজৰ হাতত থুপাই ললে। ফলত তেওঁ এতিয়া ৰাজ্যৰ একচ্ছত্ৰী নায়ক হ'ল। পৰিষদে কেৱল মাথোন আদেশ পালন কৰে। এইবাৰ তেওঁ আৰু বহুতো পুৰণি প্ৰথাক ভাঙিবলৈ লাগি গ'ল। ধৰ্ম প্ৰতিষ্ঠানৰ প্ৰতিও বিশেষ ভাল ব্যৱহাৰ নেদেখুৱালে। এনেকৈ তেওঁৰ কাৰ্য আৰু আধিপত্য দেখি বহুত লোক অসন্তুষ্ট হৈ পৰিল। বিশেষকৈ ধৰ্মানুষ্ঠানকাৰী সকল। এওঁলোক নৈ নতুন খলিফাক কেন্দ্ৰ কৰি দল সংগঠন কৰিলে, যদিও সেই বেচেৰা আছিল বৰ শান্ত আৰু নিৰীহ প্ৰাণী। কামাল পাছাই এইটো অকণো পছন্দ নকৰিলে। তেওঁ খলিফাৰ প্ৰতি যথেষ্ট দুৰ্ব্যৱহাৰ কৰিব ধৰিলে, আৰু ইয়াৰ পিছৰ ডাঙৰ কামটি কৰিবলৈ উপযুক্ত সুযোগলৈ অপেক্ষা কৰি থাকিল।

এইবাৰো তেওঁলৈ সেই সুযোগ আহোঁতে পলম নহ'ল। এটি অদ্ভুত পথেৰে বছৰতে কৰে এখন প্ৰস্তাৱ অধীনত চুলতান তন্ত্ৰ আৰু খলিফাতন্ত্ৰ স্থাপিত হওক—আত

সেই সুযোগ আহিলো। লণ্ডনৰপৰা আগা খাঁ আৰু ভাৰতবৰ্ষৰ এজন বিচাৰক আমিৰ আলিয়ে তেওঁলৈ যুটীয়াভাৱে এখন চিঠি লেখি পঠিয়ালে। ক'লে, 'আমি ভাৰতবৰ্ষৰ বহুকোটি মুছলমানৰ পক্ষৰপৰা কথা কৈছোঁ,"খলিফাৰ প্ৰতি কামালে যি আচৰণ কৰিছে আমি তাৰ প্ৰতিবাদ কৰিছোঁ। খলিফাৰ পদ-মৰ্য্যাদাৰ সম্ভ্ৰম ৰখা হওক, তেওঁৰ প্ৰতি ভাল আচৰণ কৰা হওক।"এই চিঠিৰ প্ৰতিলিপি তেওঁলোকে ইস্তানবুলৰ কেইখনমান বাতৰি কাকতলৈও পঠাই দিলে; প্ৰকৃততে মূল চিঠি আঙ্গোৰা পৈ পোৱাৰ আগতে সেই প্ৰতিলিপি কাকতত ছপা হ'ল। চিঠিখনৰ ভিতৰত অন্যায় কথা একো নাছিল। কিন্তু কামাল পাছাই সেইটোকে লৈ হৰ হৈ চৈ লগাই দিলে। ইমান দিনৰ মূৰত তেওঁৰ সুযোগ মিলিছে ইয়াৰ যথাসাধ্য সদ্ব্যৱহাৰ কৰি নলবলৈ তেওঁ এৰিব কিয়? এতেকে তেওঁ ঘোষণা কৰিলে, এই চিঠিৰ কথাটো তেওঁ আগৰপৰা গুৰিলৈকে ইংৰাজসকলৰ চক্ৰান্ত, তুৰ্কীসকলৰ ভিতৰত তেওঁলোকে দলাদলি সৃষ্টি কৰিব বিচাৰে। ক'লে, আগা খাঁতো ইংৰাজসকলৰ গুপ্তচৰ, ইংলেণ্ডতে তেওঁ থাকে, তেওঁ দিন কটাই প্ৰধানকৈ ইংলেণ্ডৰ ঘোৰাদৌৰ লৈ। ইংলেণ্ডৰ ৰাজনীতিবিদসকলৰ মহলত তেওঁৰ সকলো সময়তে অহা যোৱা। আনকি, মুছলমানো তেওঁক বুলিব নোৱাৰি, কাৰণ তেওঁ হ'ল এটি বিশেষ সম্প্ৰদায়ৰ ধৰ্মগুৰু। তাৰ পিছত এইটোও চাব লাগিব, বিশ্ব-যুদ্ধৰ সময়ত ইংৰাজসকলে তেওঁক প্ৰাচ্য অঞ্চলত চুলতান খলিফাৰ এজন সমতুল্য লোক বুলি কামত লগাইছিল; প্ৰচাৰকাৰ্য চলাই আৰু নানা উপায়েৰে তেওঁৰ মৰ্যাদা বঢ়াই তুলিছিল; তেওঁকেই ভাৰতীয় মুছলমানসকলৰ নেতা বুলি থিৰ কৰাৰ বিচাৰিছিল, যাতে তাকে কৰি তেওঁলোকৰ হাতত ৰখা যায়। খলিফাৰ কাৰণে যদি ইমানেই আগা খাঁৰ মূৰ মূৰণি, তেনেহ'লে যুদ্ধৰ সময়ত যেতিয়া খলিফাই ইংৰাজসকলৰ বিৰুদ্ধে 'জেহাদ' বা ধৰ্মযুদ্ধ ঘোষণা কৰিছিল, তেতিয়া তেওঁ খলিফাৰ পক্ষ নললে কিয়? তেতিয়া যেখোন খলিফাৰ বিৰুদ্ধে তেওঁ ইংৰাজসকলৰ পক্ষ লৈছিল।

এইদৰে এই যুটীয়া চিঠিখনকে উপলক্ষ্য কৰি কামাল পাছাই ৰীতিমতে এখন সৰুসুৰা খণ্ড প্ৰলয়ৰ সৃষ্টি কৰিলে। লণ্ডনত বহি ইয়াৰ লিখকসকলে যেতিয়া এই চিঠিখন লেখিছিল তেতিয়া তেওঁলোকে ভাবিবও পৰা নাছিল যে ইয়াকে লৈ ইমান তাণ্ডৱ কাণ্ড ঘটিব। আগা খাঁ যে বিশেষ ভাল মানুহ নহয়, এইটো প্ৰমাণ কৰি দিলে কামালে। ইস্তাম্বুলৰ যিবোৰ কাগজত এই চিঠি ছপা হৈছিল তাৰ সম্পাদকসকলক দেশদ্ৰোহী আৰু ইংলেণ্ডৰ গুপ্তচৰ আখ্যাৰে ভূষিত কৰা হ'ল, তেওঁলোকৰ প্ৰতি অতি কঠোৰ শাস্তিৰ ব্যৱস্থা কৰা হ'ল। এনেদৰে দেশৰ জনসাধাৰণৰ মনত এটি প্ৰচণ্ড উত্তেজনাৰ সৃষ্টি কৰি তাৰ পিছত তেওঁ জাতীয় পৰিষদত প্ৰস্তাৱ আনিলে, খলিফাৰ পদবী তুলি দিয়া হওক। সেইদিনাই আইন মঞ্জুৰ হৈ গ'ল, সেইটো ১৯২৪ চনৰ মাৰ্চ মাহৰ কথা। আধুনিক জগতৰ মাজ-মজিয়াৰপৰা এটি পুৰণি প্ৰতিষ্ঠান এইদৰেই নিমূৰ্ত হৈ গ'ল, যি এদিন জগতত [illegible] বহুখিনি কৰ্তৃত্ব কৰিছিল। এতিয়াৰপৰা আৰু 'ধৰ্মবিশ্বাসীসকলৰ অধিনায়ক' বুলি কোনো নাথাকিব, অন্ততঃ তুৰ্কী দেশত। তুৰস্ক এতিয়াৰপৰা হ'ব এখন 'ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ'।

ইয়াৰ অলপ দিন আগৰ কথা। মুক্তবুদ্ধিসকলে খলিফাৰ বিৰুদ্ধে অভিযান

চলাইছিল, তেতিয়া সেই কথা লৈ ভাৰতবৰ্ষত তুমুল উত্তেজনাৰ সৃষ্টি হৈছিল। দেশৰ সকলোতে 'খিলাফট' কমিটি গঢ়ি উঠিছিল, বৃটিছ চৰকাৰে ইছলামৰ এটি ক্ষতি সাধন কৰিছে, এই বিশ্বাসত বহুসংখ্যক হিন্দুৱেও মুছলমানৰ লগত আন্দোলনত যোগ দিছিল। এইবাৰ তুৰ্কীসকলে নিজে ইচ্ছা কৰি খলিফা পদৰ অৱসান ঘটালে; ইছলামৰ আৰু খলিফা বুলি কোনো নেথাকিল, কামাল পাছাৰ দৃঢ় অভিমত আছিল, ধৰ্ম-সংক্ৰান্ত কথা লৈ আৰব অঞ্চলৰ কোনো দেশৰ বা ভাৰতবৰ্ষৰ লগত তুৰস্কৰ সাঙোৰ খোৱা একোতেই নচলিব। তেওঁৰ দেশ বা তেওঁ নিজে ইছলামৰ নেতৃত্ব অধিকাৰ কৰি ৰাখিব, এনে অভিপ্ৰায়ো তেওঁৰ নাছিল। ভাৰতবৰ্ষ আৰু মিচৰৰ লোকসকলে তেওঁ নিজেই খলিফা হৈ ৰাখিবলৈ অনুৰোধ জনাইছিল, তাতো তেওঁ ৰাজি নহ'ল। তেওঁৰ দৃষ্টি আছিল পশ্চিমত, ইউৰোপৰ ফালে। তুৰস্কক যিমান সোনকালে পাশ্চাত্য ৰাজনীতিত দীক্ষিত কৰি তোলাই তেওঁৰ কামনা। 'পান ইছলাম' মতবাদৰ তেওঁ সম্পূৰ্ণ বিৰোধী আছিল। এইবাৰ তেওঁলোকৰ নতুন আদৰ্শ হ'ল, পান তুৰাণীবাদ, কাৰণ তুৰ্কীসকল জাতিত তুৰাণী। অৰ্থাৎ ইছলামৰ যি আন্তৰ্জাতিক ঐক্যৰ আদৰ্শ ইমান দিনে আছিল—যাৰ গণ্ডী ডাঙৰ, বান্ধোন শিথিল, তাৰ পৰিবৰ্ত্তে কামালে বিচাৰিলে, বিশুদ্ধ জাতীয়তাবাদক প্ৰতিষ্ঠা কৰিবলৈ, যাৰ বান্ধোন দৃঢ়তৰ আৰু সংহতি গভীৰতৰ।

মই কৈছিলোঁ, তুৰস্ক এতিয়া এখন একজাতি প্ৰধান দেশত পৰিণত হৈছে, আন জাতিৰ মানুহ অতি কমেইহে তাত আছে। কিন্তু পূব তুৰস্কত ইৰাক আৰু পাৰস্য সীমান্তৰ ওচৰা-ওচৰি অঞ্চলত, তেতিয়াও এখন অ-তুৰ্কী জাতিৰ বসতি আছিল। এওঁলোক হৈছে কুৰ্দ, অতি পুৰণি জাতি, এওঁলোকৰ ভাষা হৈছে এটি ইৰাণী ভাষা। এই জাতিটোৰ বাসস্থান কুৰ্দিস্তানক ভাঙি খণ্ড খণ্ড কৰি তুৰস্ক, পাৰস্য, ইৰাক আৰু মুচল প্ৰদেশৰ অন্তৰ্ভুক্ত কৰি লোৱা হৈছিল। কুৰ্দসকলৰ মুঠ লোকসংখ্যা প্ৰায় ত্ৰিশ লাখ। তাৰ প্ৰায় আধা লোক তেতিয়া খাচ তুৰস্কৰ মাজত বসতি কৰিছে। ১৯০৮ চনত তৰুণ তুৰ্কী বিপ্লৱ ঘটিল, তাৰ অলপ দিন পিছতে সেই প্ৰাচীন কুৰ্দসকলৰ মাজতো এটি আধুনিক জাতীয় আন্দোলনে দেখা দিছিল। আনকি, ভাৰ্চাইলচ্ শান্তি সন্মিলনত কুৰ্দ প্ৰতিনিধিসকলে তেওঁলোকৰ জাতিৰ স্বাধীনতাৰ দাবী জনাইছিল।

১৯২৫ চনত তুৰস্কৰ কুৰ্দ অঞ্চলত এটি প্ৰচণ্ড বিদ্ৰোহ হ'ল, ঠিক সেই সময়তে ইফালে মচুলৰ সমস্যাটো লৈ ইংলেণ্ড আৰু তুৰস্কৰ মাজত অবিৰামবাদি লাগিছে। এই মচুলো আছিল এটি কুৰ্দ অঞ্চল, তুৰস্কৰ যি অঞ্চলত বিদ্ৰোহ হৈছে তাৰ ঠিক পাশাপাশি। এতেকে তুৰ্কীসকলে স্বভাৱতেই ধৰি ললে, এই বিদ্ৰোহৰ পিছত ইংলেণ্ড আছে, কুৰ্দসকলৰ মাজত কিছুমান বেছি ধৰ্মপ্ৰাণ, বৃটিছ গুপ্তচৰসকলে আহি তেওঁলোকক কামাল পাছাৰ সংস্কাৰ ব্যৱস্থাৰ বিৰুদ্ধে জগাই তুলিছে। সঁচাকৈ এই বিদ্ৰোহৰ মাজত বৃটিছ গুপ্তচৰসকলৰ কিবা হাত আছিল নে নাই—সেই কথা ঠিকাংকৈ কোৱা সহজ নহয়, কিন্তু এই সময়ছোৱাতে তুৰস্কত কুৰ্দসকলৰ বিদ্ৰোহ হোৱাৰ ফলত বৃটিছ চৰকাৰৰ যে বহু কাম সুবিধা হৈ উঠিছিল সেইটো সহজে বুজা যায়। অৱশ্যে এই কথাও ঠিক—এই বিদ্ৰোহৰ মূলতে ধৰ্মৰ গোঁড়ামিৰ হাত আছিল বহুখিনি, আৰু কুৰ্দসকলৰ জাতীয় চেতনাতো যে ইয়াত অলপ

ইন্ধন যোগাইছিল তাত সন্দেহ নাই। খুব সম্ভৱ এই কাৰণবোৰৰ মাজত জাতীয়তা-বাদৰ অনুপ্ৰেৰণা আছিল সৰ্বপ্ৰধান।

কামাল পাছাই তৎক্ষণাৎ প্ৰচাৰ চলালে, তুৰ্কী জাতিৰ বিপদ আসন্ন, কুৰ্দসকলৰ পাছত ইংৰাজসকল আছে। জাতীয় পৰিষদৰদ্বাৰা তেওঁ আইন তৈয়াৰ কৰিলে, তাৰ মৰ্ম হ'ল যে বক্তৃতাৰে হওক বা লিখিতভাৱেই হওক, ধৰ্মৰ দোহাই দি যদি কোনোৱে জনসাধাৰণক উত্তেজিত কৰিবলৈ চেষ্টা কৰে, সেই কাৰ্যক ৰাজদ্ৰোহ বুলি গণ্য কৰা হব, আৰু সেই হিচাপে তাৰ প্ৰতি একেবাৰে চৰম দণ্ডৰ ব্যৱস্থা কৰা হ'ব। প্ৰজাতন্ত্ৰৰ প্ৰতি জনসাধাৰণৰ ভক্তি শ্ৰদ্ধা কমি যাব পাৰে, এনে কোনো ধৰ্মাদেশ, মছজিদৰ মাজত প্ৰচাৰ কৰাও নিষিদ্ধ কৰা হ'ল। ইয়াৰ পিছত তেওঁ একেবাৰে নিৰ্মম হাতেৰে কুৰ্দসকলক ধ্বংস কৰিবলৈ লাগি গ'ল। বিশেষ একৰকমৰ স্বাধীনতাৰ আদালত বহুৱা হ'ল; তাত একেলগে হাজাৰ হাজাৰ কুৰ্দ আচামীৰ বিচাৰ হ'ব ধৰিলে। শেখ, চৈয়দ, ডক্তৰ কুৱাদ আৰু বহুতো কুৰ্দ নেতাক মৃত্যুদণ্ড বিহা হ'ল। কুৰ্দিস্তানৰ স্বাধীনতাৰ বাণী উচ্চাৰণ কৰি কৰি তেওঁলোকে মৃত্যু বৰণ কৰিলে।

দুদিন আগলৈকে তুৰ্কীসকলে নিজৰ স্বাধীনতাৰ কাৰণে যুদ্ধ কৰিছে এইবাৰ তেওঁলোকেই কুৰ্দসকলক ধ্বংস কৰি তেওঁলোকো স্বাধীন হব বিচাৰিছে, এই অপৰাধত। আত্মৰক্ষাৰ কাৰণে উৎসুক জাতিয়ে কি ধৰণেৰে আক্ৰমণত ব্ৰতী হৈ পৰে, স্বাধীনতাৰ কাৰণে অনুষ্ঠিত যুদ্ধ কিদৰে অনায়াসে আনৰ স্বাধীনতা হৰণ কৰাৰ যুদ্ধত পৰিণত হৈ যায়—ই এক আচৰিত কথা। ১৯২৯ চনত কুৰ্দসকলে আকৌ বিদ্ৰোহ কৰিলে, আকৌ সেই বিদ্ৰোহ দমন কৰা হ'ল; অন্ততঃ সেই সময়ৰ কাৰণে। যি জাতি স্বাধীনতা অৰ্জন কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ,—তাৰ কাৰণে উচিত মূল্য দিবলৈও যি প্ৰস্তুত, তাক চিৰকালৰ কাৰণে দমন কৰা জানো কেতিয়াবা সম্ভৱ?

এইবাৰ কামাল পাছাই দৃষ্টি ঘূৰালে—তেওঁলোকৰ প্ৰতি, যিসকলে জাতীয় পৰিষদৰ মাজত, বা বাহিৰত তেওঁৰ নীতিৰ বিৰুদ্ধে মত প্ৰকাশ কৰিছে। এক-চছত্ৰী শাসকে তেওঁৰ ক্ষমতা যিমান ব্যৱহাৰ কৰে, ক্ষমতাৰ লোভ তেওঁৰ সিমানেই বাঢ়ি যায়। কোনো ৰকমৰ প্ৰতিবাদ বা বাধা তেওঁ সহ্য কৰিব নোৱাৰে। মুস্তাফা কামালেও তেওঁৰ ইচ্ছাৰ বিৰোধী মাত্ৰৰেই ওপৰত জলি-পকি উঠিল। ইয়াৰ উপৰিও আকৌ এজন ধৰ্মোন্মাদ লোকে তেওঁক হত্যা কৰিবলৈ চেষ্টা কৰিলে; এতেকে অৱস্থা একেবাৰে চূড়ান্তত উপনীত হ'লগৈ। স্বাধীনতাৰ আদালতবোৰ এতিয়া দেশৰ সকলোতে ঘূৰি পকি কুৰিব ধৰিছে সকলোকেই কঠোৰ দণ্ডেৰে দণ্ডিত কৰা হ'ল। পৰিষদৰ অতি ডাঙৰ ডাঙৰ লোকসকলকো স্বাধীনতাৰ যুদ্ধত যিসকল এদিন কামালৰ সহকৰ্মী আছিল, কামালৰ বিৰোধিতা কৰি তেওঁ-লোকৰো কোনেও নিস্তাৰ নেপালে। ৰাউফ বেগক বৃটিছসকলে এদিন মাল্টাত নিৰ্বাসিত কৰিছিল পিছত তেওঁ আকৌ তুৰস্কৰ প্ৰধান মন্ত্ৰীও হৈছিল, তেওঁৰ প্ৰতি অসাক্ষাতেই দণ্ডৰ আদেশ জাৰি কৰা হ'ল। তুৰস্কৰ স্বাধীনতাৰ

সময়ত যি সকলে এদিন যুদ্ধ কৰিছিল, এনে আৰু বহুতো ডাঙৰ ডাঙৰ নেতা আৰু সেনাপতিৰ লাঞ্ছনা আৰু শাস্তি মিলিল, কেইজনমানৰ মৃত্যুদণ্ডও হ'ল। এওঁলোকৰ বিৰুদ্ধে অভিযোগ, এওঁলোকে হেনো কুৰ্দসকলৰ লগত ষড়যন্ত্ৰ কৰিছে, হয়তোবা দেশৰ পুৰণি শত্ৰু ইংলেণ্ডৰ লগতে ষড়যন্ত্ৰ কৰিছে, ৰাষ্ট্ৰৰ নিৰাপত্তাকেই বিপন্ন কৰিছে।

দেশৰ মাজত তেওঁৰ বিৰোধী যি য'ত আছিল, সকলোকে কামালে উচ্ছেদ কৰিছে; এইবাৰ তেওঁ দেশৰ অবিসম্বাদী একচ্ছত্ৰী শাসক আৰু ইচমৎ পাছা হ'ল তেওঁৰ প্ৰধান সহায়। ইমান দিন ধৰি যিবোৰ কল্পনা তেওঁৰ মগজুত খেলাইছিল, এইবাৰ তেওঁ সেইবোৰ কাৰ্যত পৰিণত কৰিবলৈ আৰম্ভ কৰিলে। তেওঁৰ কাম আৰম্ভ হ'ল এটি ক্ষুদ্ৰ কথাৰে মাজেদি, কিন্তু তাৰপৰাই সেই কামৰ স্বৰূপ বুজা যায়। ফেজ টুপীৰ ব্যৱহাৰ তেওঁ তুলি দিলে, এই শিৰস্ত্ৰাণ তুৰ্কীৰ আৰু কিছু পৰিমাণে মুছলমানত্বৰেই পৰিচায়ক শিৰস্ত্ৰাণত পৰিণত হৈছিল। প্ৰথমতে তেওঁ কামটো সাৱধানেৰে আৰম্ভ কৰিলে, সৈন্য দলক লৈ। তাৰ পিছত এদিন নিজেই 'হেট' মূৰত পিন্ধি বাহিৰত ফুৰিলে, তাকে দেখি সকলো লোক বিস্ময়ত স্তব্ধ হৈ গ'ল, শেষলৈ তেওঁ ফেজ টুপীকেই এটি দণ্ডনীয় অপৰাধ বুলি ঘোষণা কৰিলে। মূৰত টুপী লৈ ইমান কাণ্ড কৰা কথাটো বৰ বেছি 'বাঢ়াবাঢ়ি' বুলি মনত হয়। কিন্তু বহু সময়ত সৰু সৰু কথাই বহুতো ডাঙৰ কথাৰ প্ৰতীক স্বৰূপে হয়। নিৰীহ ফেজ টুপীক উপলক্ষ্য কৰি কামালে আচলতে প্ৰাচীন ৰীতি-নীতি আৰু গোড়ামীক আক্ৰমণ কৰিছিল। এই ফেজ টুপীৰ কথা লৈ দেশৰ মাজত বহুতো কাজিয়া-পেচালো হ'ল। কামালে সকলো বিদ্ৰোহ দমন কৰিলে; কাজিয়া কৰোঁতাসকলৰ প্ৰতি কঠোৰ দণ্ডৰ ব্যৱস্থা হ'ল।

যুদ্ধৰ এই প্ৰথম পৰ্বত জয়লাভ কৰি এইবাৰ কামালে তাৰ পিছৰ পৰ্বলৈ ভৰি আগুৱালে। দেশত যিমান মজিছদ আৰু ধৰ্মমন্দিৰ আছিল সকলোকে তেওঁ বন্ধ কৰিলে আৰু নাইকিয়া কৰি দিলে, আৰু মঠৰ সকলো ধন-সম্পত্তি ৰাষ্ট্ৰৰ বুলি বাজেয়াপ্ত কৰা হ'ল। এইবোৰ ঠাইত যিসকল মৌলবী আছিল তেওঁলোকক কাম কৰি খাবলৈ কোৱা হ'ল। যি বিশেষ ধৰণৰ পোছাক তেওঁলোকে পিন্ধিছিল, সেই পোছাক পৰ্যন্ত বন্ধ কৰি দিলে।

ইয়াৰ আগতেই তেওঁ মুছলমানসকলৰ ধৰ্ম শিক্ষা দিয়া বিশ্ববিদ্যালয়সমূহ বন্ধ কৰি দিছিল, তাৰ সলনি ধৰ্ম নিৰপেক্ষ বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। তুৰস্কত বিদেশীসকলৰ বহুতো স্কুল আৰু কলেজ আছিল। এওঁলোকৰ প্ৰতিও আদেশ হ'ল, কোনো ধৰণৰ ধৰ্মশিক্ষা দিব নোৱাৰিব। যিসকলে এইটো স্বীকাৰ কৰি নচলে তেওঁলোকৰ এনে কাৰ্য জোৰ কৰি বন্ধ কৰি দিয়া হ'ল।

দেশৰ আইন একেবাৰে সম্পূৰ্ণৰূপেই সলনি কৰি দিয়া হ'ল। ইমান দিনে বহু কথাতেই আইনৰ বিধান চলিছিল কোৰাণৰ উক্তিক আশ্ৰয় কৰি, এই উক্তিৰ নামেই শৰিয়ৎ। এইবাৰ চুইজাৰলেণ্ডৰ দেৱানী আইন, ইটালীৰ ফৌজদাৰী আইন আৰু জাৰ্মানীৰ বাণিজ্য আইনৰ বিধিক আনি তুৰস্কত চলোৱা হ'ল। যিবোৰ

ব্যক্তি সম্বন্ধীয় আইনবোৰৰ। বিবাহ, উত্তৰাধিকাৰ, আদি কথা নিয়ন্ত্ৰিত হৈছিল, তাৰ সকলোখিনিয়েই ইয়াৰ ফলত সলনি হৈ গ'ল। এইবোৰ বিষয়ত ইচলামৰ যি পুৰণি আইন আছিল তাক সলনি কৰি দিয়া হ'ল। বহু-বিবাহ তুলি দিয়া হ'ল।

আৰু এটি নতুন বস্তুৰ আমদানি কৰা হ'ল; যিটো পুৰণি ধৰ্মগত ৰীতিৰ বিৰোধী, সেইটো হৈছে, মনুষ্য দেহৰ ৰেখা-চিত্ৰ, বৰ্ণ-চিত্ৰ আৰু মূৰ্ত্তি নিৰ্মাণ। ইছলাম ধৰ্মত এইটো নিষিদ্ধ। এইবোৰ বিষয়ত ল'ৰা-ছোৱালীবোৰক শিক্ষা দিবৰ কাৰণে মুস্তাফা কামালে বহুতো কলা-বিদ্যালয় স্থাপন কৰিলে।

সেই তৰুণ তুৰ্কী দলৰ সময়ৰপৰাই তুৰ্কী নাৰীসকলে স্বাধীনতা সংগ্ৰামত বহুখিনি অংশ গ্ৰহণ কৰি আহিছে। সকলো ৰকমৰ বন্ধনৰপৰা, এওঁলোকক মুক্তি দিয়াৰ কথাত কামাল পাছাৰ বিশেষ আগ্ৰহ আছিল। নাৰীসকলৰ অধিকাৰ ৰক্ষাৰ কাৰণে এখন সমিতি স্থাপন কৰিলে তেওঁ। সকলো ৰকমৰ ব্যৱসায় আৰু কামবন কৰাৰ পথ তেওঁলোকৰ কাৰণে মুকলি কৰি দিয়া হ'ল। প্ৰথমতেই কামালে 'পৰ্দা' আৰু ওৰণি তুলি দিবৰ কাৰণে জোৰ অভিযান চলালে আৰু আচৰিত ৰকমে বৰ দ্ৰুত গতিত এই দুয়োটি প্ৰথা দেশৰপৰা লুপ্ত হৈ গ'ল। এই ওৰণিৰ আভৰণ কালি পেলাবলৈ নাৰীসকল উদগ্ৰীৱ হৈ থাকে, তেওঁলোকক মাথোন লাগে সুযোগ। কামাল পাছাই সেই সুযোগৰ সৃষ্টি কৰি দিলে, পৰ্দা কালি পেলাই তুৰ্কীৰ ৰমণীসকল বাহিৰ ওলাই আহিল। য়ুৰোপীয় নৃত্য প্ৰৱৰ্তনৰ তেওঁ বৰ পক্ষপাতী আছিল। এই নৃত্য তেওঁ নিজে খুব ভাল পাইছিল। কেৱল সেয়ে নহয় তেওঁৰ মনত এইটো আছিল নাৰীৰ মুক্তি আৰু পাচাত্য সভ্যতাৰ প্ৰতীক। টুপী আৰু নৃত্য হৈ পৰিল প্ৰগতি আৰু সভ্যতাৰ প্ৰতীক। পাচাত্য সভ্যতাৰ প্ৰতীকৰূপে এই দুটি বৰ সাধাৰণ সন্দেহ নাই; তথাপি বাহিৰত অন্ততঃ এইবোৰক আশ্ৰয় কৰিয়েই কাম ক্ষিপ্ৰতাৰে আগুৱাই গ'ল। তুৰ্কীজাতিয়ে তেওঁলোকৰ শিৰস্ত্ৰাণ সলনি কৰিলে; পৰিচ্ছদ সলনি কৰিলে, ক্ৰমে জীৱন-যাত্ৰাৰ ৰীতিকেই সলনি কৰি পেলালে। এই এক পুৰুষৰ পৰ্দাশীল নাৰীসকল কেইবছৰমানৰ ভিতৰতে হঠাৎ ৰূপান্তৰিত হ'ল, আইনজীৱী, শিক্ষয়ত্ৰী, চিকিৎসক, আৰু বিচাৰকৰ ৰূপত তেওঁলোকে এইবাৰ দেখা দিলে। ইস্তানবুলৰ ৰাজআলিত এতিয়া নাৰী পুলিচ পৰ্যন্ত দেখা পাবা। এটা বস্তুৰ হেঁচাত আন এটা বস্তু কিদৰে ভাঙি যায়—সেইটো চাবলগীয়া কথা। তুৰ্কী ভাষাৰ পুৰণি বৰ্ণমালাৰ সলনি কামালে লেটিন বৰ্ণমালাৰ প্ৰচলন কৰিলে—তাৰ ফলত তুৰস্কত 'টাইপ ৰাইটাৰ' যন্ত্ৰৰ ব্যৱহাৰ বহুত বাঢ়ি গ'ল—তাৰ ফলত বাঢ়িল চৰ্চহেতু টাইপিষ্টৰ চাহিদা আৰু তাৰ ফলত আকৌ বাঢ়িল চাকৰীজীৱী নাৰীৰ সংখ্যা।

পুৰণি কালৰ ধৰ্মপন্থী বিদ্যালয়ত শিশুসকলক কেৱল অলপ লিখা-পঢ়া শিকাবেই পাৰবা হৈছিল। তাৰ পৰিবৰ্তে এতিয়া শিশুসকলৰ কাৰণে নানান অভিনৱ উপায়ে শিক্ষাৰ ব্যৱস্থা কৰা হ'ল, যেন তেওঁলোকে নিজক আত্মপ্ৰত্যয়ী, আৰু কৰ্মক্ষম নাগৰিক হিচাপে সম্পূৰ্ণৰূপে গঢ়ি তুলিব পাৰে। ইয়াৰ ভিতৰত এটি

অতি সুন্দৰ ব্যৱস্থা আছিল 'শিশু সপ্তাহ'। শুনিব পোৱা যায় যে প্ৰতি বছৰে হেনো এটি সপ্তাহত প্ৰত্যেকজন চৰকাৰী কৰ্মচাৰী আঁতৰাই তেওঁৰ ঠাইত শিশুক বহুৱাই দিয়া হয়—সেই এক সপ্তাহ কাল ধৰি দেশখনক শাসন কৰাৰ সকলো ভাৰ শিশুসকলৰ হাতত। এই ব্যৱস্থাটি কিমানদূৰ কাৰ্যকৰী হৈছে মই নেজানো, কিন্তু কথাটো শুনিবলৈ আমোদজনক। এই শিশুসকলৰ বহুতেই হয়তো মূৰ্খ বা অনভিজ্ঞ, কিন্তু আসনৰ চাৰিওফালে বয়সীয়া, তথাকথিত গম্ভীৰ শাসক আৰু কৰ্মচাৰীসকলে যিবোৰ কাণ্ড সদায় কৰি ফুৰে তাতকৈ বেছি মূৰ্খামীৰ কাণ্ড কেতিয়াও কৰিব নোৱাৰে—এই বিষয়ে মই নিসন্দেহ।

তুৰস্কৰ শাসনকৰ্তাসকলে 'চালাম' নীতিটোকো তুলি দিছিল। সৰু কথা, কিন্তু ইয়াৰপৰাই তেওঁলোকে যে নতুন দৃষ্টিভঙ্গীৰেহি চলিব বিচাৰিছে তাৰ পৰিচয় পোৱা যায়। তেওঁলোকে দেশৰ লোকক পৰিষ্কাৰকৈ বুজাই দিছে নমস্কাৰ হিচাপে কৰমৰ্দন কৰাটোৱেই বেছি সভ্য ৰীতি—ভৱিষ্যতলৈ যেন সেইটোকেই তেওঁলোকে অভ্যাস কৰি লয়।

কামাল পাছাই এইবাৰ এটি প্ৰচণ্ড আক্ৰমণ আৰম্ভ কৰিলে তুৰ্কীভাষাৰ ওপৰত; অৰ্থাৎ সেই ভাষাৰ ভিতৰত যিমানখিনি বিদেশী বস্তু বুলি তেওঁ ভাবিছিল, তাৰ ওপৰত। তুৰ্কী ভাষা লিখা হৈছিল আৰবী আখৰত। কামাল পাছাই ইয়াক কঠিন তদুপৰি বিদেশী বুলি ধাৰণা কৰিছিল। মধ্য-এচিয়াত চোভিয়েটসকলেও কিছুমান এনে ধৰণৰ সমস্যাত পৰিবলগীয়া হৈছিল। তাত থকা বহুতো তাৰ্তাৰ জাতিয়ে এনে আখৰ ব্যৱহাৰ কৰিছিল যিটো আৰবী বা ফাৰ্চী আখৰৰপৰা পোৱা। এই সমস্যাটিৰ সমাধান কৰিবৰ কাৰণে ১৯২৪ চনত বাকু চহৰত গোটেই চোভিয়েটসকলৰ এখন আলোচনা সভা বহিল। সভাত স্থিৰ হ'ল যে মধ্য এচিয়াৰ তাৰ্তাৰ ভাষা এতিয়াৰপৰা লেটিন আখৰত লিখা হ'ব। তাৰ মানে, ভাষা যি আছিল ঠিক তেনেকৈয়ে থাকিল, কেৱল সেইবোৰ লিখা হ'ল লেটিন বা ৰোমান আখৰেৰে। এইবোৰ ভাষাত কিছুমান বিশেষ ধ্বনি আছে, সেইবোৰ বুজাবৰ কাৰণে কিছুমান বিশেষ ধৰণৰ সঙ্কেতৰ ব্যৱহাৰ সৃষ্টি কৰা হ'ল। এই ব্যৱস্থাটিৰ ফালে কামালৰো চকু পৰিল। তেওঁ ৰীতিটো শিকি ললে। তাৰ পিছত তুৰ্কী ভাষাৰ ক্ষেত্ৰটো ইয়াক প্ৰয়োগ কৰিলে। ইয়াক প্ৰতিষ্ঠিত কৰিবৰ কাৰণে তেওঁ নিজেই বৰ জোৰ চেষ্টা চলাব ধৰিলে। দুবছৰ ধৰি ইয়াৰ সপক্ষে প্ৰচাৰ কাৰ্য চলোৱা হ'ল। দেশৰ জনসাধাৰণক নতুন আখৰ শিকোৱা হ'ল। তাৰ পিছত আইন কৰি এটা তাৰিখ নিৰ্দিষ্ট কৰি দিয়া হ'ল, সেই তাৰিখৰপৰা আৰবী আখৰ নিষিদ্ধ হৈ যাব, সকলো লিখা পঢ়াই লেটিন আখৰত কৰিব লাগিব। যোলৰপৰা চল্লিশ বছৰৰ ভিতৰত যাৰ বয়স, তেওঁলোকৰ সকলো ব্যক্তিকেই স্কুললৈ গৈ লেটিন বৰ্ণমালা শিকি আহিবলৈ বাধ্য কৰা হ'ল। কোৱা হ'ল যিসকল চৰকাৰী কৰ্মচাৰীয়ে এই আখৰ ব্যৱহাৰ কৰিবলৈ নেজানিব তেওঁলোকক চাকৰীৰপৰা বৰখাস্ত কৰা হ'ব। জেলত যিসকল কয়দী আছিল তেওঁলোকে দণ্ডকাল পাৰ হৈ গলেও মুক্তি নেপাব যদিহে এই নতুন আখৰ তেওঁলোকে পঢ়িব নোৱাৰে বা লেখিব নেজানে। নিখুঁতভাবে কাম সম্পন্ন কৰিবৰ

ক্ষমতা ডিক্টেটৰৰ থাকে, বিশেষকৈ তেওঁ যদি জনপ্ৰিয় হয়। প্ৰজাসকলৰ জীৱন-যাত্ৰাত ইমানখিনি হস্তক্ষেপ কৰাৰ সাহস আন কেইখন দেশৰ শাসনকৰ্তাৰ হ'ল-হেঁতেন কোৱা টান।

তুৰস্কত লেটিন আখৰ প্ৰবৰ্তিত কৰা হ'ল, তাৰ পিছুতে আহিল আৰু এটি পৰিৱৰ্তন। দেখা গ'ল, আৰবী আৰু ফাৰ্চী কথা এই আখৰেৰে লিখা কঠিন, এই ভাষাত যিবোৰ বিশেষ ধ্বনি আৰু চিন ব্যৱহাৰ হয় এই আখৰেৰে সেইবোৰ প্ৰকাশ কৰা নাযায়। নিভাঁজ তুৰ্কী কথাত সিমান সূক্ষ্মতা নাই, সেইবোৰ বেছি কঠুৱা, বেছি সহজ, আৰু বেছি জোৰ থকা—তাক সহজতে এই আখৰেৰে লিখা যায়। এতেকে স্থিৰ হ'ল তুৰ্কী ভাষাৰপৰা সকলো আৰবী আৰু ফাৰ্চী শব্দ বাদ দিব লাগিব, তাৰ সলনি নিভাঁজ তুৰ্কী শব্দ প্ৰচলন কৰা হ'ব। এই সিদ্ধান্তৰ মূলত প্ৰকৃত কাৰণ আছিল জাতীয়তাবাদ। তোমাক কৈছোঁ—কামাল পাছাৰ সংকল্পই আছিল তুৰস্কক আৰব আৰু প্ৰাচ্য জগতৰ প্ৰভাৱৎপৰা যিমানদূৰ সম্ভৱ মুক্ত কৰা। পুৰণি তুৰ্কীভাষা আৰবী আৰু ফাৰ্চী শব্দৰ আৰু বাক্যত সমৃদ্ধি-শালী; অটোমান সম্ৰাটৰ দৰবাৰৰ বিচিত্ৰ জাকজমকতাৰে পৰিপূৰ্ণ জীৱন যাত্ৰাৰ লগত হয়তো তাৰ মিল আছিল। এতিয়াৰ এই প্ৰাণ শক্তিৰে পৰিপূৰ্ণ প্ৰজাতন্ত্ৰী নবীন তুৰস্কৰ পক্ষে ইয়াক একেবাৰে নুশুৱাই বুলি এওঁলোকে ভাবিছিল। এতেকে এই গোটেই সূক্ষ্ম মধুৰ বাক্যক এওঁলোকে ভাষাৰপৰা বাদ দি দিলে; ডাঙৰ ডাঙৰ উচ্চ শিক্ষিত অধ্যাপক আদি বহুতো লোকে গাওঁ অঞ্চললৈ গৈ কৃষক-সকলৰ ভাষা শিকি লব ধৰিলে। পুৰণি কালৰ নিভাঁজ তুৰ্কী কথা য'ত পায় বিচাৰি বাহিৰ কৰিব ধৰিলে। এই ভাষা পৰিৱৰ্তনৰ কাম আজিও চলি আছে। উত্তৰ ভাৰতত আমি যদি এইদৰে ভাষা পৰিৱৰ্তন কৰিব পাৰিলোঁহেতেন, তাৰ অৰ্থ হ'লহেঁতেন দিল্লী বা লক্ষ্ণৌ অঞ্চলৰ যি সমৃদ্ধ আৰু কিছু পৰিমাণে কৃত্ৰিম হিন্দুস্থানী ভাষা আমি ব্যৱহাৰ কৰিছোঁ, (সেই ভাষা প্ৰকৃততে পুৰণি মোগল দৰবাৰৰ সৃষ্টি) তাৰ বহুখিনি আমি বাদ দি চলিব লাগিলহেঁতেন আৰু তাৰ পৰিৱৰ্তে গাওঁবোৰৰ বহুতো অমাৰ্জিত গাৱলীয়া কথাৰ ব্যৱহাৰ কৰিব লাগিলহেঁতেন।

ভাষাৰ এই পৰিৱৰ্তনৰ লগে লগে স্বভাৱতে চহৰ আৰু মানুহবো নাম সলনি হৈছে। এই জানা যে কনষ্টাণ্টিনোপল চহৰৰ নাম এতিয়া হৈছে ইস্তানবুল। আঙোৰা তমিছ আনকাৰা, স্মাৰ্ণা হৈছে ইচমিৰ। তুৰস্কত সাধাৰণতে মানুহৰ নাম, আৰবী ভাষাৰপৰাই লোৱা হয়—মুস্তাফা কামাল এই নামটোও আৰবী নাম। এতিয়া সকলোৱেই নিভাঁজ তুৰ্কী নাম ৰখাৰ পক্ষপাতী হৈ উঠিছে।

আৰু এটি পৰিৱৰ্তন এওঁলোকে সাধন কৰিছে; সেইটোৰ পৰা কিছু কাজিয়াবো সৃষ্টি হৈছে। আইন কৰা হৈছে, ইছলামৰ নামাজ (প্ৰাৰ্থনা) আৰু আজান বা প্ৰাৰ্থনাত যোগ দিয়াৰ আহ্বানো তুৰ্কী ভাষাৰ মাধ্যমত কৰিব লাগিব। এই প্ৰাৰ্থনা মুছলমানসকলে চিৰদিন মূল আৰবী ভাষাত কৰি আহিছে; ভাৰতবৰ্ষত এতিয়াও তাকেই কৰা হয়। এতেকে মৌলবীসকলে আৰু মছজিদৰ অধ্যক্ষ-সকলৰ বহুতেই এইটো এটা অন্যায় পৰিৱৰ্তন বুলি ধৰি ললে আৰু তেওঁলোকে আৰবী ভাষাতেই প্ৰাৰ্থনা কৰি যাব ধৰিলে। এই প্ৰশ্নটো লৈ বহুত্ৰৰ কাজিয়া

পেছালো হ'ল, এতিয়াও ইযাক লৈ মাজে মাজে কাজিয়া হয়। কিন্তু কামাল পাছাৰ পৰিচালিত চৰকাৰে আৰু বহুতো ব্যৱস্থাৰ দৰে এই ক্ষেত্ৰতো বিৰোধী দলক দমন কৰিলে।

যোৱা দহ বছৰ ধৰি এইবোৰ বিৰাট সামাজিক পৰিৱৰ্তনৰ ফলত তুৰ্কী জাতিৰ জীৱনধাৰাই একেবাৰে সলনি হৈ গ'ল। এতিয়াৰ ডাঙৰ হোৱা ল'ৰা-ছোৱালীবোৰৰ পুৰণি কালৰ সেইবোৰ ৰীতি নীতি আৰু ধৰ্ম প্ৰতিষ্ঠানৰ লগত কোনো পৰিচয় নাই। এই পৰিৱৰ্তনবোৰ বৰ গুৰুতৰ, তথাপি কিন্তু দেশৰ অৰ্থনৈতিক জীৱন যাত্ৰা ইয়াৰদ্বাৰা বিশেষ উপকৃত হোৱা নাই। একেবাৰে ওপৰভাগত গৈ এটা বা আধা সৰুসুৰা পৰিৱৰ্তন হৈছে; কিন্তু তাৰ মূল ভিত্তি প্ৰায় আগৰ দৰেই আছে। কামাল পাছা অৰ্থনীতিবিদ নহয়—চোভিয়েট ৰাচিয়াত অৰ্থনৈতিক ব্যৱস্থাত যি ধৰণৰ প্ৰগতিমূলক পৰিৱৰ্তন বাতাৰাতি সংঘটিত হৈছে তাৰ পক্ষপাতীও তেওঁ নাছিল। এতেকে দেখা গৈছে, ৰাজনীতিৰ ফালৰপৰা তেওঁ চোভিয়েটৰ লগত মিত্ৰতা সূত্ৰত আৱদ্ধ হ'লেও অৰ্থনৈতিক মতবাদৰ ফালৰপৰা তেওঁ কমিউনিজিম সযত্নেৰে পৰিহাৰ কৰি চলিছে। ৰাষ্ট্ৰ আৰু সমাজ, সম্পৰ্কে তেওঁৰ মতামত দেখি ধাৰণা হয় যে সেইবোৰ তেওঁ ফৰাচী বিপ্লৱৰপৰা আহৰণ কৰিছে।

তুৰস্কত এতিয়াও কোনো শক্তিমান মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ হোৱা নাই, একমাত্ৰ চাকৰী আৰু পেচাজীৱী সকলৰ বাহিৰে। গ্ৰীক আৰু আন আন বিদেশী লোক-সকলক দেশৰপৰা বাহিৰ কৰি দিয়াৰ ফলত দেশৰ ব্যৱসায় বাণিজ্য শক্তিহীন হৈছিল। কিন্তু তুৰ্কী চৰকাৰৰ স্পষ্ট অভিমত হৈছে জাতি হিচাপে তেওঁলোক দৰিদ্ৰ হৈয়ে থাকিব; শিল্প প্ৰগতিৰ পথত অতি লাহে লাহে আগুৱাই যাব, সেইটোও তেওঁলোকৰ পক্ষে ভাল, তথাপি দেশক আন নৈতিক জীৱনৰ ফালৰপৰা স্বাধীন কৰি ৰাখিব লাগিব; বিদেশীৰ পদত সেই স্বাধীনতাক বলি দিয়াটো নচলিব। বিদেশৰপৰা যদি বহু পৰিমাণৰ মূলধন তুৰস্কলৈ আহে তেন্তে শেষলৈ ধনীৰ ব্যৱস্থাই হ'ব; সেই বিদেশীসকলেই দেশখন চুচি নিব; এই ভয় তেওঁ-লোকৰ মনত আছে। এতেকে তেওঁলোকে দেশৰ ভিতৰত বিদেশীসকলক আছি ব্যৱসায়-বাণিজ্য চলোৱাৰ সুযোগ দিব নিৰ্বিচাৰে। বিদেশী পণ্যৰ ওপৰত বৰ বেছি হাৰত শুল্ক বহুৱা হৈছে। শিল্পসমূহৰ বহুতৰে জাতীয়কৰণ কৰা হৈছে অৰ্থাৎ প্ৰজাৰ হকে চৰকাৰেই সেইবোৰৰ মালিক হৈ ৰহিছে; সেইবোৰ নিয়ন্ত্ৰণ কৰিছে। ৰেলপথ নিৰ্মাণ কাম বেছ জোৰেৰে আগবাঢ়িছে।

শিল্পৰ তুলনাত খেতিৰ ফালেই কামাল পাছাৰ বেছি চকু। কাৰণ তুৰস্কৰ খেতিয়কসকলেই চিৰদিন তুৰ্কী জাতি আৰু তুৰ্কী সৈন্য-বাহিনীৰ মেৰুদণ্ড স্বৰূপ হৈ আছে। দেশত বহুতো আদৰ্শ কৃষিপাম পতা হৈছে, ট্ৰেক্টৰৰ ব্যৱহাৰ প্ৰৱৰ্তিত হৈছে, সমবায় সমিতি গঢ়ি খেতিয়কসকলক সহায় কৰা হৈছে।

পৃথিৱীৰ আন সকলো দেশৰ দৰে তুৰস্কও বিশ্বব্যাপী বাণিজ্যসংকটৰ ভিতৰত পৰি গৈছে। এই বিপদৰ মাজত নিজক চম্ভালি চলা তাৰ পক্ষে কঠিন হৈ পৰিছে মুস্তাফা কামাল আজিও দেশৰ কৰ্ত্তা হৈ আছে—তেওঁক 'আতাতুৰ্ক' বা 'দেশৰ পিতা' এই আখ্যা দিয়া হৈছে আৰু তেওঁ এতিয়া এই নামেৰেহে পৰিচিত।

১৬০

ভাৰতত গান্ধীজীৰ নেতৃত্ব

১১ মে, ১৯৩৩

ভাৰতবৰ্ষত সম্প্ৰতি যিবোৰ ঘটনা ঘটি গৈছে, সেইবোৰৰ কথা তোমাক কিছু কোৱাৰ আৱশ্যক হৈছে। দেশৰ বাহিৰৰ ঘটনাতকৈ স্বাভাৱিকতেই এই ঘটনাবোৰৰ সম্বন্ধে আমাৰ আগ্ৰহ বেছি। মই নিজকে সংযত ৰাখিব লাগিব যাতে খুব বেছি খৰচি মাৰি ইবোৰৰ বিৱৰণ দিবলৈ নেযাওঁ। কেৱল আমাৰ নিজৰ গৰজ বুলিয়েই অৱশ্যে কথা নহয়। আজিৰ দিনত জগতৰ আগত যি কেইখন দেশৰ সমস্যা অতি বৃহৎ ভাৰতবৰ্ষ তাৰেই এখন হৈ পৰিছে। সাম্ৰাজ্যবাদীসকলৰ ৰাজ্য যাক কয় এইখন তাৰ এটি ঐতিহাসিক প্ৰসিদ্ধ উদাহৰণ। বৃটিছ সাম্ৰাজ্যৰ সম্পূৰ্ণ কাঠামোটোৱেই থিয় হৈ আছে ইয়াক আশ্ৰয় কৰি, সাম্ৰাজ্য স্থাপনত বৃটেনৰ এইবোৰ প্ৰচেষ্টাৰ দৃষ্টান্ত দেখি আৰু বহুতো দেশে সাম্ৰাজ্য স্থাপনৰ দুৰূহ পথত ভৰি আগবঢ়াবলৈ প্ৰলুব্ধ হৈছে।

যুদ্ধৰ সময়ত ভাৰতবৰ্ষত যিবোৰ পৰিবৰ্তন ঘটিছিল, ভাৰতবৰ্ষ সম্বন্ধে মোৰ শেষ চিঠিত তাৰ কথা মই তোমাক কৈছোঁ; কৈছিলোঁ, কেনেকৈ ভাৰতৰ শিল্প, ব্যৱসায় আৰু ভাৰতৰ পুঁজিপতি শ্ৰেণী গঢ়ি উঠিল, ভাৰতীয় শিল্প প্ৰচেষ্টা সম্বন্ধে বৃটিছৰ নীতি কি ধৰণে সলনি হৈ গ'ল। শিল্প আৰু বাণিজ্যৰ ফালৰপৰা ভাৰতবৰ্ষই বৃটেনৰ ওপৰত যি হেঁচা দিছিল তাৰ জোৰ ক্ৰমে বাঢ়ি গৈছিল; লগে লগে বাঢ়ি গৈছিল ৰাজনৈতিক কথাতো তাৰ হেঁচা। গোটেই প্ৰাচ্য জগতজুৰি তেতিয়া ৰাজনৈতিক জাগৰণৰ বতাহ বলিছে, যুদ্ধৰ পিছত পৃথিৱীজুৰি দেখা দিছে এটি নীৰৱ অসন্তোষৰ লক্ষণ—এটা যেন ৰুগীয়া অৱস্থা। ভাৰতবৰ্ষতো মাজে মাজে বিপ্লৱীসকলৰ হিংসাৰ কাৰ্য কলাপে আত্মপ্ৰকাশ কৰিছে। ৰাজনীতিৰ ক্ষেত্ৰত তেওঁলোকে এটি তত্ত্ব অনুসন্ধানী কমিটি বহুৱালে, তাৰ পিছত কিছুমান সংস্কাৰ সাধনৰ প্ৰস্তাৱ দাঙি ধৰিলে, সেই প্ৰস্তাৱবোৰ মণ্টেগু চেমচফোৰ্ড ৰিপৰ্টত প্ৰকাশিত হ'ল। অৰ্থনীতিৰ ক্ষেত্ৰত তেওঁলোকে নৱজাগ্ৰত বুৰ্জোৱা শ্ৰেণীক নানা ৰকমৰ টুকুৰাটুকুৰি খাদ্য দি পৰিপুষ্ট কৰি তুলিলে, অৱশ্যে তাৰ লগে লগেই চকু ৰাখিলে যেন শক্তি আৰু শোষণৰ মূল কেন্দ্ৰস্থলবোৰ তেওঁলোকৰ নিজৰ হাততেই থাকে।

যুদ্ধৰ পিছত অলপ কেইদিনমানৰ কাৰণে ব্যৱসায়-বাণিজ্যৰ শ্ৰীবৃদ্ধি হ'ল,

এখন বেছ শক্তিশালী বজাৰেই দেখা গ'ল। কিছুদিনলৈ ব্যৱসায়ীসকলে বিৰাট লাভ কৰি ললে, বিশেষকৈ বহুদেশত মহাপাতিৰ কাৰণাৰে, বহুতো ক্ষেত্ৰত ইয়াত মূলধনৰ ওপৰত শতকৰা বাৰ্ষিক একশ টকাতো বেছি লাভাংশ দিয়া হ'ল। বস্তু বাহানীৰ দাম বাঢ়িবলৈ ধৰিলে, মজুৰিৰ হাৰো অলপ বাঢ়িল, কিন্তু সিমান নহয়। পণ্য মূল্য বঢ়াৰ লগে লগে প্ৰজাসকলে জমিদাৰক যি খাজনা দিছিল; তাৰো হাৰ বাঢ়ি গ'ল। তাৰ পিছত আহিল মন্দা বজাৰ -ব্যৱসায়-বাণিজ্যই ভাঙোন ধৰিলে। শিল্পজীৱী মজদুৰ আৰু কৃষক দুয়োৰে অৱস্থা আৰু বেয়া হৈ পৰিল, দেশৰ সকলোতে অসন্তোষ বেগেৰে বাঢ়ি গ'ল। শ্ৰমিকসকলৰ অৱস্থা ক্ৰমে বেয়া হৈ পৰিছিল, তাৰ ফলত বহুতো কাৰখানাত ধৰ্মঘট হ'ল। অযোধ্যাত তালুকদাৰী প্ৰথাৰ অধীনত প্ৰজাসকলৰ অৱস্থা বিশেষ বেয়া আছিল, তাত প্ৰায় আপোনা-আপুনি এটা প্ৰবল কৃষক আন্দোলন গঢ়ি উঠিল। শিক্ষিত নিম্নস্তৰৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত নিবনুৱা সমস্যা বাঢ়ি গ'ল, তাৰ ফলত তেওঁলোকৰ দুখ-দুৰ্দশাৰো চৰম সীমা পালেগৈ।

যুদ্ধোত্তৰ যুগৰ প্ৰথম ভাগে এয়ে আছিল দেশৰ অৰ্থনৈতিক অৱস্থা। এইটো মনত ৰাখিলে সহজেই বুজিব পাৰিবা দেশৰ ৰাজনৈতিক ঘটনাৰ সোঁত কোনফালে বৈছিল। দেশৰ মনত তেতিয়া এটা বিদ্ৰোহৰ ভাব আহিছে, নানান ৰকমে সেইটো বাহিৰত প্ৰকাশো হৈছে। শিল্পজীৱী শ্ৰমিকসকল সংঘবদ্ধ হৈছে, ট্ৰেড ইউনিয়ন গঢ়িছে, তাৰ পিছত তাকপৰাই গঢ়ি উঠিছে এখন নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ। সৰু সৰু জমিদাৰসকল আৰু মাটিৰ মালিক খেতিয়কসকল চৰকাৰৰ আচৰণত ক্ষুব্ধ, তেওঁলোকে দেশৰ ৰাজনৈতিক কাৰ্যকলাপক মৰমৰ চকুৰে চাইছে, মধ্যবিত্ত শ্ৰেণীৰ বিশেষকৈ তাৰ নিবনুৱা লোকসকলে নিৰ্ভয়ে ৰাজনীতি লৈ জাগি উঠিছে, তেওঁলোকৰ মাজৰ অলপ লোকে বিপ্লৱী দলত গৈয়ো যোগ দিছে। হিন্দু, মুছলমান, শিখ সকলোৰেই তেতিয়া সমান দুৰৱস্থা কাৰণ অৰ্থনৈতিক দুৰ্দশাই জাতি বা ধৰ্মৰ বিভেদক খাটিৰ কৰি নচলে। কিন্তু ইয়াৰ উপৰিও আকৌ মুছলমানসকলৰেই তেতিয়া মনৰ অৱস্থা বেয়া, তুৰস্কৰ বিৰুদ্ধে বৃটেনৰ যুদ্ধ কৰা দেখি তেওঁলোকৰ মনত এটা প্ৰচণ্ড আঘাত লাগিছিল, ভয় হৈছিল বৃটিছ চৰকাৰে বোধকৰোঁ এইবাৰ সচাঁসচিকৈ জাজিৰাত-উল-আৰব অৰ্থাৎ আৰব দেশৰ দীপবিনাকক আৰু পবিত্ৰ নগৰী মক্কা, মদিনা আৰু জেৰু-জালেম (জেৰুজালেম হৈছে ইহুদী, খ্ৰীষ্টান, আৰু মুছলমান তিনি সম্প্ৰদায়ৰেই তীৰ্থ স্থান) দখল কৰি লব।

এতেকে যুদ্ধৰ পিছত ভাৰতবৰ্ষৰ লোকসকলে আশা পালি ৰ'ল, তেওঁলোক ইংৰাজৰ প্ৰতি প্ৰসন্ন নহয়, হয়তো বা কাজিয়া কৰিবলৈ উৎসুক, মনত বেছি আশাও তেওঁলোকে নেৰাখে, তথাপি তেওঁলোকে ফলাফললৈ প্ৰত্যাশা কৰিছে। বৃটিছ চৰকাৰে এইবাৰ কি নীতি অৱলম্বন কৰে, তাকে চাবৰ কাৰণে সকলোৱে পৰম আগ্ৰহেৰে অপেক্ষা কৰিছিল, কেইমাহমানৰ ভিতৰতে তেওঁলোকৰ সেই নতুন নীতিৰ প্ৰথম ফলটিয়ে দেখা দিলে, বিপ্লৱী আন্দোলনক দমন কৰিবৰ কাৰণে বিশেষ ধৰণৰ আইন প্ৰণয়ন কৰা হ'ব, এই প্ৰস্তাৱৰ মতে। অলপ বেছি স্বাধীনতা বিচাৰি-

ছিলোঁ আৰি, তাৰ সলনি পালো বেছি উৎপীড়নৰ ব্যৱস্থা। এই বিলবোৰ ৰচনা কৰা হৈছিল এখন কমিটিৰ ৰিপৰ্ট অনুসাৰে, ইয়াৰ নাম ৰাউলাট বিল। কিন্তু দুদিন নৌ যাওঁতেই দেশৰ সকলোতে এইবোৰ 'ক'লা বিল' বুলিয়েই পৰিচিত হৈ পৰিল। প্ৰত্যেকজন ভাৰতবাসীয়েই চিঞৰি ইয়াৰ নিন্দা কৰিব ধৰিলে, নৰম পন্থীসকলৰ ভিতৰত যিসকল একেবাৰে নৰমতম তেওঁলোকেও। এই আইনত চৰকাৰ আৰু পুলিচৰ হাতত বিপুল ক্ষমতা দিয়া হৈছিল, ইয়াৰ বলত যি কোনো নেতাকে অপৰাধী বোলে, আনকি সন্দেহজনক বুলি মন কৰিলেও তেওঁকেই গ্ৰেপ্তাৰ কৰিব পাৰিব। বিনা বিচাৰে জেলত আটক কৰি ৰাখিব পাৰিব, বা গোপনে আদালত বহুৱাই বিচাৰ কৰিব পাৰিব। এই সময়ত এই বিলৰ স্বৰূপ বৰ্ণনা কৰি এটি বাক্য লিখা হৈছিল, কথাষাৰী প্ৰখ্যাত হৈ পৰিছে—"নাই উকীল, নাই আপীল, নাই দলিল।" এই আইনৰ বিৰুদ্ধে দেশৰ প্ৰতিবাদ যেতিয়া ক্ৰমে বাঢ়ি আহিল; এনে সময়ত আবিৰ্ভাৱ হ'ল এটি নতুন বস্তুৰ—ৰাজনৈতিক আকাশৰ দিক চক্ৰাবালত সৰু এটি মেঘ বিন্দু দেখা গ'ল, তাৰ পিছত সেই মেঘ বাঢ়ি বাঢ়ি আৰু বেগেৰে বিস্তাৰিত হৈ ক্ৰমে গোটেই ভাৰতবৰ্ষৰ আকাশ আগুৰি পেলালে। এই নতুন বস্তুটো হৈছে মোহনদাস কৰমচাঁদ গান্ধী। যুদ্ধৰ মাজতে গান্ধীজী দক্ষিণ আফ্ৰিকাৰপৰা ভাৰতবৰ্ষলৈ উভতিছিল, সবৰমতীত আশ্ৰম প্ৰতিষ্ঠা কৰি তেওঁৰ অনুগামীসকলক লৈ বসতি কৰিছিল। ৰাজনীতিৰ প্ৰবাহৰপৰা দূৰতেই আছিল তেওঁ. যুদ্ধৰ কাৰণে চৰকাৰক সাহায্য পৰ্যন্ত কৰিছিল। ভাৰতবৰ্ষত অৱশ্যে দক্ষিণ আফ্ৰিকাৰ সেই সত্যাগ্ৰহ সংগ্ৰামৰ পিছৰপৰাই তেওঁৰ নাম সকলোৰে ওচৰত অতি পৰিচিত হৈ পৰিছিল। বিহাৰৰ চম্পাৰণ জিলাৰ য়ুৰোপীয় খেতিয়ক চাহাবসকলে দীন দৰিদ্ৰ খেতিয়ক প্ৰজাসকলৰ ওপৰত অকথ্য অত্যাচাৰ কৰিছিল, ১৯১৭ চনত তেওঁ সেই প্ৰজাসকলৰ হৈ যুদ্ধ আৰম্ভ কৰিলে, অত্যাচাৰৰ অৱসান ঘটালে। তাৰ পিছত আকৌ তেওঁ সংগ্ৰাম কৰিবলগীয়া হ'ল গুজৰাটৰ কয়ৰা অঞ্চলৰ খেতিয়কসকলৰ কাৰণে। ১৯১৯ চনৰ প্ৰথম ভাগত তেওঁ বৰ পীড়িত হৈ পৰে। অসুখ ভালকৈ এৰিছে নে নাই, এনে সময়তে ৰাউলাট বিল লৈ গোটেই দেশ জুৰি তুমুল আন্দোলন জাগি উঠিল। দেশ জুৰি জনসাধাৰণৰ মিলিত প্ৰতিবাদৰ লগত গান্ধীজীয়েও তেওঁৰ সুৰ মিলালে।

আনৰ কণ্ঠৰপৰা তেওঁৰ কণ্ঠস্বৰৰ কৰবাত যেন এটি অমিল আছিল। সেই স্বৰ শান্ত, ধীৰ, তথাপি জনতাৰ উন্মত্ত চিঞৰৰ আৰু গৰ্জন ভেদ পেলাই সেই ধ্বনি মানুহৰ আহি কাণত পৰিল। কোমল আৰু নম্ৰ তেওঁৰ কথা, তথাপি যেন তাৰ মাজৰ ক'ৰবাত কিবা অলপ তীক্ষ্ণ ইস্পাত লুকাই আছে; অতি বিনয়েৰে প্ৰাৰ্থনাৰ ভঙ্গিত তেওঁ কথা কয়, অথচ সেই কথাৰ মাজত অতি কঠিন আৰু ভয়ানক কিবা এটাৰ আভাস পোৱা যায়। তেওঁৰ কথাৰ প্ৰতিটি শব্দ প্ৰত্যেকটি আখৰ তাৎপৰ্যৰে পৰিপূৰ্ণ। তাৰ মাজৰপৰা এটা মৃত্যু পণ কৰা সংকল্পই আত্মপ্ৰকাশ কৰিছে। শান্তি আৰু মৈত্ৰীৰ বাণী লৈ তেওঁ আহি থিয় দিলে, সেই বাণীৰ পিছত আছে শক্তি, আছে বাস্তৱ কৰ্মৰ স্পন্দনশীল ছায়া, আছে দৃঢ়সংকল্প, যি অন্যায়ৰ ওচৰত কেতিয়াও মূৰ নোদোৱায়। আজি তেওঁৰ সেই স্বৰ শুনি

শুনি আমি অভ্যস্ত হৈ পৈছোঁ, যোৱা চৈধ্য বছৰে সেই স্বৰ আমি বহুবাৰ শুনিছোঁ। কিন্তু ১৯১৯ চনৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত আমাৰ কাণত তেওঁৰ সেই বাণী তেতিয়া নতুন আছিল, তেওঁক লৈ আমি কি কৰিম ভাবি পোৱা নাই, তথাপি তেওঁৰ স্বৰনিয়ে আমাৰ মনত তেতিয়া জুই জলাই দিছিল। ই একেবাৰে বেলেগ বস্তু; আমি যি কোলাহলপ্ৰধান ৰাজনীতিক চিনিছিলোঁ, সেইটো ই নহয়। সেই ৰাজনীতিত থাকে কেৱল প্ৰতিপক্ষৰ প্ৰতি নিন্দাৰ বিষোদ্-গাৰ, কেৱল দীঘল দীঘল বক্তৃতা, তাৰ শেষত সেই নিতৌ এক ধৰণৰ অৰ্থহীন, মূল্যহীন প্ৰতিবাদ প্ৰস্তাৱ, সেই প্ৰস্তাৱক কোনেও বিশেষ কামৰ কথা বুলি নাভাবে। দেখিলোঁ। গান্ধীজীৰ এই ৰাজনীতি, কথাৰ ৰাজনীতি নহয়, কামৰ ৰাজনীতি। বাছি বাছি কেইখনমান আইনং অমান্য কৰি কাৰাদণ্ড বৰণ কৰিবলৈ প্ৰস্তুত থকা, এনে ধৰণৰ লোকক লৈ গান্ধীজীয়েও এখন 'সত্যাগ্ৰহ সভা' গঠন কৰিলে। তেতিয়াৰ দিনত এইটো এটা অভিনৱ কথা। আমাৰ মাজত বহুতে আগ্ৰহত অধীৰ হৈ উঠিল, বহুতে আকৌ ভয়ত পিছুৱায়ো গ'ল। আজি এইটো এটা অতি সাধাৰণ কথা; আমাৰ মাজত বেছিভাগৰ পক্ষেতো এইটো জীৱনযাত্ৰাৰ এটা নিশ্চিত আৰু নিয়মিত অংশ স্বৰূপ হৈ পৰিছে।

চিৰদিন যি তেওঁৰ নিয়ম, প্ৰথমে গান্ধীজীয়ে বৰলাটৰ ওচৰলৈ এখন অতি বিনীত নিবেদন আৰু এটি সাৱধান বাণী পঠিয়াই দিলে। তাৰ পাছত যেতিয়া দেখিলে বৃটিছ চৰকাৰ একেবাৰে দৃঢ় প্ৰতিজ্ঞা হৈছে, গোটেই ভাৰতবৰ্ষৰ মিলিত প্ৰতিবাদ সত্বেও তেওঁলোকে এই আইন প্ৰচলন কৰিবই তেতিয়া তেওঁ ক'লে—গোটেই ভাৰতবৰ্ষ জুৰি এটি শোক প্ৰকাশৰ দিন পালন কৰা হওক,—এই বিল যিদিনা আইনত পৰিণত হ'ব তাৰ পিচৰ দেওবাৰটো দেশব্যাপী হৰতাল হ'ব, সকলো কাম-কাজ সভা-সমিতি সেইদিনা বন্ধ থাকিব। এইটো হ'ল সত্যাগ্ৰহ আন্দোলনৰ সূচনা। এনেকৈ ১৯১৯ চনৰ ৬ এপ্ৰিলৰ দেওবাৰে দেশৰ সকলোতে সকলো চহৰতে আৰু আৰু সকলো গাৱঁতে হৰতাল হ'ল। এই ধৰণৰ গোটেই ভাৰতব্যাপী অনুষ্ঠান ইয়াৰ আগতে আৰু কেতিয়াও হোৱা নাই। অনুষ্ঠানটি হৈছিল, আচৰিত ধৰণে ফলদায়ক, গোটেই জাতি সকলো সম্প্ৰদায়ৰ লোকেই ইয়াত যোগ দিছিল। আমি কিছুমানে এই হৰতাল পালনৰ আয়োজন কৰিছিলোঁ, ইয়াৰ সাফল্য দেখি বিস্ময়ত অবাক হৈ পৈছিলোঁ।। আমি ইয়াৰ আবেদন জনাব পাৰিছিলোঁ নিচেই নিচেই কম সংখ্যক লোকৰ ওচৰত—চহৰ অঞ্চলত। কিন্তু বতাহত তেতিয়া নতুন ভাবৰ জোৱাৰ আহিছে, কেনেকৈ নেজানো ইয়াৰ বাতৰি এই বিশাল দেশৰ দূৰতম প্ৰদেশৰ গাৱেঁ গাৱেঁ পৰ্যন্ত বিয়পিছিল। ভাৰতৰ ইতিহাসত সেয়ে প্ৰথম চহৰৰ কৰ্মী আৰু অধিবাসীসকলে এক হৈ এটি ৰাজনৈতিক আন্দোলন গঢ়ি তুলিলে একেবাৰে গোটেই জনগণৰ আন্দোলন।

দিল্লীৰ জনসাধাৰণেও ৬ এপ্ৰিল তাৰিখটো বুজোতে ভুল কৰিছিল, আৰু হৰতাল হ'ল আগৰ দেওবাৰে—৩১ মাৰ্চ তাৰিখে। দিল্লীৰ হিন্দু আৰু মুছলমানসকলৰ মাজত সেইটো আছিল এটা অপূৰ্ব সৌহাৰ্দ আৰু মৈত্ৰীৰ যুগ। অদ্ভুত এটি দৃশ্য দেখা গ'ল সেইদিনা আৰ্য সমাজৰ প্ৰবীণ নেতা স্বামী শ্ৰদ্ধানন্দই দিল্লীৰ প্ৰসিদ্ধ জুমা-

মছজিদত থিয় হৈ বিৰাট জনতাৰ সমাবেশত বক্তৃতা দিছিল। সেই ৩১ মার্চ তাৰিখে পুলিচ আৰু সৈন্যসকলে দিল্লীৰ ৰাজআলিত বিৰাট জনতাক ছত্ৰভঙ্গ কৰি দিবলৈ চেষ্টা কৰিলে—জনতাৰ ওপৰত গুলী চলালে—কেইজনমান তাত নিহতো হ'ল। চাদনী চকত দেখা গ'ল দীঘল দেহৰ সন্ন্যাসীৰ বেশভূষাৰে অপৰূপ মহিমাদীপ্ত স্বামী শ্রদ্ধানন্দই বুকুৰ চোলা খুলি পেলাইছে, উদং বুকুৰে আৰু নির্ভয় চকুৰে গুর্খাসকলৰ সঙ্গীনৰ আগত গৈ থিয় হৈছে। গুর্খাবোৰে তেওঁক নেমাৰিলে—এই ঘটনাই গোটেই ভাৰতবর্ষক চমক লগাই দিলে। কিন্তু দুখৰ কথা এই যে ইয়াৰ পিছৰ আঠটা বছৰ পাৰ হওঁ নৌহওঁতেই—সেই স্বামী শ্রদ্ধানন্দ নিহত হ'ল-এজন ধর্মান্ধ মুছলমানে ছদ্মবেশেৰে গৈ ৰোগশয্যাত শুই থকা অৱস্থাত তেওঁক চুৰিৰে আঘাট কৰি হত্যা কৰিলে।

৬ এপ্রিলৰ সেই সত্যাগ্রহৰ দিৱসৰ পিছতেই ঘটনাৰ সোঁত বেগেৰে আগুৱাই ১০ এপ্রিলত অমৃতসৰত গণ্ডগোল লাগিল। পঞ্জাবৰ নেতা ডক্তৰ কিচলু আৰু ডক্তৰ সত্যপালক গ্রেপ্তাৰ কৰা হ'ল। তাৰ কাৰণে শোক প্রকাশ কৰি এটি নিৰস্ত্র জনতাই খালি মূৰেৰে শোভা যাত্রা কৰিছিল। তেওঁলোকৰ ওপৰত সৈন্যসকলে গুলী চলালে আৰু বহুতো লোক মৰিল। তেতিয়া সেই জনতাও প্রতিশোধ লবলৈ উন্মত্ত হৈ উঠিল। অফিচত বহি কাম কৰি থকা পাঁচ ছজন নিৰীহ ইংৰাজক হত্যা কৰিলে; তেওঁলোকৰ বেঙ্কৰ ঘৰ পুৰি পেলালে। ইয়াৰ পিছতে পঞ্জাব প্রদেশৰ ওপৰত ডাঠ যৱনিকা পৰিল। চিঠিপত্র আৰু বা-বাতৰিৰ ওপৰত কাঢ়া পহৰা লগাই পঞ্জাবক বাকী ভাৰতবর্ষৰপৰা একেবাৰে বিচ্ছিন্ন কৰি পেলালে। পঞ্জাবৰ আৰু কোনো বাতৰিয়েই প্রায় বাহিৰত নোপোৱা হ'ল। বাহিৰৰপৰা কোনো তালৈ যোৱা বা তাৰপৰা বাহিৰলৈ অহাও অতি কঠিন হৈ পৰিল। সামৰিক আইন জাৰি কৰা হ'ল তাত—একে লেঠেৰীয়ে বহুতো মাহ ধৰি তাৰ উৎপীড়ন পঞ্জাবে সহ্য কৰিবলগীয়া হ'ল। তাৰ পিছত অতি লাহে লাহে বহু সপ্তাহ, বহু মাহ উৎকণ্ঠিতভাৱে ৰৈ থকাৰ পিছত এদিন সেই যৱনিকা উঠি গ'ল। তেতিয়াহে আমি জানিব পাৰিলোঁ যে কি ভয়াবহ ঘটনা তাত ঘটি গ'ল।

তাৰ পিছত বহু বছৰ পাৰ হৈ গ'ল, আজিও সেই সকলো বর্বৰতা আৰু বীভৎস আচৰণক ক্ষমা কৰা আমাৰ পক্ষে টান। কিন্তু ইয়াৰ অর্থ বুজিবলৈ একো টান নহয়। ভাৰতবর্ষত বৃটিছসকলৰ শাসন তেওঁলোকে কিভাবে চলাইছে তাৰ কাৰণে তেওঁলোকে সকলো সময়তে মনত ৰাখে তেওঁলোকে একেবাৰে আগ্নেয়-গিৰিৰ কাষত বহি আছে। ভাৰতবর্ষৰ মন, ভাৰতবর্ষৰ হৃদয়ক, তেওঁলোকে নুবুজে, বুজিবৰ চেষ্টাও কৰা নাই কোনো দিনেই। আমাৰপৰা সম্পূর্ণ বেলেগ হৈ থাকিয়েই তেওঁলোকে চিৰকাল জীৱন যাপন কৰিছে, নির্ভৰ কৰিছে কেৱল তেওঁলোকৰ যি বিশাল আৰু জটিল সংগঠন আছে আৰু তাৰ পিছত তেওঁলোকৰ যি শক্তি আছে তাৰ ওপৰতে। কিন্তু তেওঁলোকৰ ইমানবোৰ আত্ম-প্রত্যয়ৰ মাজতো তেওঁলোকৰ মনত অপৰিচিতৰ সম্বন্ধে এটা ভয় সদায় জাগি আছে। ভাৰতবর্ষত তেওঁলোকে ডেৰশ বছৰ ধৰি ৰাজত্ব কৰিছে, তথাপি এইখন তেওঁলোকৰ ওচৰত অপৰিচিত দেশ। ১৮৫৭ চনৰ বিদ্রোহৰ স্মৃতি আজিও তেওঁলোকৰ মনত

স্পষ্ট, তেওঁলোকে সকলো সময়তে মনত ৰাখিছে তেওঁলোকে এখন অজানা শত্ৰুৰ দেশত বসতি কৰিছে, যিকোনো মুহূৰ্ততে সেই দেশে তেওঁলোকক আক্ৰমণ কৰিব, টুকুৰা টুকুৰি কৰি চিন্তি পেলাব। এয়ে হৈছে তেওঁলোকৰ সাধাৰণ মনোভাব। সেইকাৰণে তেওঁলোকে যেতিয়া দেখিলে দেশত এটা প্ৰকাণ্ড আন্দোলন জাগি উঠিছে, আৰু সেই আন্দোলন তেওঁলোকৰেই বিৰুদ্ধে, স্বভাৱতে তেওঁলোকৰ ভয় বাঢ়ি গ'ল। ১০এপ্ৰিলত অমৃতচৰত যি নৃশংস ঘটনা ঘটিছিল তাৰ বাতৰি যেতিয়া লাহোৰত পঞ্জাবৰ উৰ্দ্ধতন কৰ্মচাৰীসকলৰ কাণত পৰিলগৈ তেওঁলোক ভয়তে একেবাৰে বিহ্বল হৈ পৰিল। ভাবিলে এইবাৰো ঠিক ১৮৫৭ চনৰ দৰেই আৰু এটা অতি ভয়ঙ্কৰ নৰঘাতী বিদ্ৰোহ আৰম্ভ হ'ল। ভাৰতবৰ্ষত যিমান ইংৰাজ আছে আটাই সকলোৰেই এইবাৰ প্ৰাণ গ'ল। ভাবি তেওঁলোকৰ মুখ ঠিক সাধাৰিল, স্থিৰ কৰিলে বিভীষিকা সৃষ্টি কৰিয়েই ইয়াক ধমাই দিব লাগিব। জালিয়ানৱালাবাগত সামৰিক আইন আৰু যিবোৰ ঘটনা ঘটিছিল সেই সকলোবোৰেই হৈছে এওঁলোকৰ এই মানসিক বিকৃতিৰপৰা সৃষ্টি হোৱা।

এওঁলোকৰ ভয় কৰিবলগীয়া কাৰণ সঁচাকৈয়ে একোৱেই নাছিল। তথাপি ভয়াৰ্ত মানুহে যদি উচ্ছৃঙ্খল আচৰণ কৰি পেলাই তাৰ অৰ্থ যথেষ্ট বুজিব পাৰি, যদিও তেনে আচৰণক সেই বুলি সমৰ্থন কৰিব নোৱাৰি। কিন্তু ভাৰতবৰ্ষৰ জনসাধাৰণ আৰু বেছি আচৰিত আৰু ক্ৰোধান্বিত হৈ উঠিল যেতিয়া দেখা গ'ল যে এই ঘটনাৰ বহুমাহ পিছতো জেনেৰেল ডায়াৰে অতি অৱজ্ঞাৰ স্বৰত তেওঁৰ সেই আচৰণৰ কৈফিয়ৎ দিছিল। অমৃতচৰত ডায়াৰেই গুলী চলাইছিল, তাৰ পিছত সেই হাজাৰ হাজাৰ নৰ-নাৰীক একেবাৰে বৰ্বৰোচিত অৱহেলাৰে সেই ঠাইতে পেলাই ৰাখিছিল। কৈছিল—"তেওঁলোকৰ শুশ্ৰূষা কৰা আমাৰ কাম নহয়।" ইংলেণ্ডৰ সামান্য দুই-চাৰিজন লোকে আৰু চৰকাৰে তেওঁৰ এই কাৰ্য্যৰ অতি মৃদু সমালোচনাও কৰিলে, কিন্তু বৃটেনৰ শাসক শ্ৰেণীৰ সাধাৰণ অভিমত এই বিষয়ে কি তাৰ স্পষ্ট প্ৰমাণ পোৱা গ'ল হাউচ অৱ লৰ্ডচৰ এখন তৰ্ক সভাত—তাত ডায়াৰৰ ওপৰত একেবাৰে প্ৰশংসাৰ পুষ্প বৃষ্টি হ'ল। ইয়াৰ প্ৰত্যেকটি ঘটনাই ভাৰতবৰ্ষৰ ৰোষাগ্নিত ইন্ধন যোগাব ধৰিলে। পঞ্জাবৰ অনাচাৰবোৰে দেশৰ সকলোতে তীব্ৰ অসন্তোষৰ সৃষ্টি কৰিলে, পঞ্জাবত প্ৰকৃততে কি ঘটিছিল তাৰ তথ্য নিৰ্ণয় কৰিবৰ কাৰণে চৰকাৰ আৰু কংগ্ৰেছে দুই পক্ষৰ পৰাই অনুসন্ধান সমিতি বহুৱালে। গোটেই দেশে এই বিপৰ্য্যৰ প্ৰতীকাৰত ব'ল।

সেই বছৰৰ পৰাই ১৩ এপ্ৰিল তাৰিখটি ভাৰতবৰ্ষৰ এটি জাতীয় দিৱস হৈ আছে। ৬এপ্ৰিলৰপৰা ১৩ এপ্ৰিললৈ এই আঠটা দিন হৈছে তাৰ জাতীয় সপ্তাহ। জালিয়ানৱালাবাগ এতিয়া ভাৰতবৰ্ষৰ ৰাজনৈতিক তীৰ্থক্ষেত্ৰ। সুন্দৰ এখনি ফুলৰ বাগিছাত পৰিণত কৰা হৈছে ইয়াক। এদিন ইয়াৰ নামত যি আতঙ্কই মানুহৰ মন আচ্ছন্ন কৰি পেলাইছিল, সিও বহুত লুপ্ত হৈ গৈছে। কিন্তু স্মৃতি ইমান সহজে নমৰে। সেইদিনাৰ কাহিনী আজি পাহৰা নাই।

দৈৱৰ আচৰিত বিধানত সেই বছৰ কংগ্ৰেছৰো অধিবেশন বহিল অমৃতচৰত, ১৯১৯ চনৰ ডিচেম্বৰ মাহ শেষটো। এই কংগ্ৰেছত তেনে কোনো ডাঙৰ সিদ্ধান্ত

স্থিৰ নহ'ল, কাৰণ সকলোৱে তেতিয়া অনুসন্ধান সমিতিয়ে কি ৰিপৰ্ট দিয়ে তাৰ কাৰণে প্ৰতীক্ষা কৰিছে। তথাপি এটা কথা স্পষ্ট বুজিব পৰা গ'ল—কংগ্ৰেছৰ পৰিৱৰ্তন ঘটিছে, জনসাধাৰণৰ ৰতাহ লাগিছে তাৰ মাজত—আহিছে এটি নতুন প্ৰাণ শক্তিৰ জোৱাৰ, পুৰণি কালৰ কংগ্ৰেছী যিসকল আছিল, তেওঁলোকৰ কোনো কোনোৰ পক্ষে সেইটো অস্বস্তিকৰো। সেই কংগ্ৰেছত দেখা গ'ল লোকমান্য তিলকক, চিৰদিনৰ কাৰণে উন্নত শিৰ তেওঁৰ কোনো আপোচ মীমাংসাৰ তেওঁ ধাৰ নধৰে। তেওঁৰ জীৱনত সেয়ে শেষবাৰৰ কাৰণে কংগ্ৰেছত যোগদান, পিচৰবাৰ কংগ্ৰেছৰ অধিৱেশন হোৱাৰ আগতে তেওঁৰ মৃত্যু হ'ল। তালৈ গ'ল গান্ধীজী, জনসাধাৰণৰ প্ৰিয়নেতা, কংগ্ৰেছ আৰু ভাৰতৰ ৰাজনীতিৰ ক্ষেত্ৰত দীৰ্ঘকাল তেওঁ যি একনায়কত্ব কৰি চলিছে, সেয়ে তেওঁৰ প্ৰথম যাত্ৰা; আৰু বহুত নেতা, আহিল জেলৰপৰা তেওঁলোক অলপতে বাহিৰ হৈ আহিছে। সামৰিক আইনৰ শাসনকালত ডাঙৰ ডাঙৰ ষড়যন্ত্ৰৰ মকৰ্দমাত সাঙুৰি এওঁলোকৰ প্ৰতি দীঘলীয়া কাৰাদণ্ডৰ আদেশ দিয়া হৈছিল, এইবাৰ যুদ্ধবিৰতিৰ উপলক্ষে তেওঁলোকৰ দণ্ড মাফ কৰা হৈছে। আহিল সুবিখ্যাত আলি ভাতৃদ্বয় বহু বছৰ বন্দী স্বৰূপে থাকি তেওঁলোকে সেই সময়তে মুক্তি লাভ কৰিছে।

ইয়াৰ পিছৰ বছৰতে কংগ্ৰেছ যুদ্ধত জপিয়াই পৰিল গান্ধীজীৰ নিৰ্দিষ্ট কৰ্মসূচী গ্ৰহণ কৰি। কলিকতাত কংগ্ৰেছৰ এখন বিশেষ অধিৱেশন কৰি ইয়াক গ্ৰহণ কৰি লোৱা হ'ল, তাৰ পিছত নাগপুৰত বাৰ্ষিক অধিৱেশনত সেইটো অনুমোদন কৰা হ'ল। এই যুদ্ধ যি প্ৰণালীত চলিল, সেইটো সম্পূৰ্ণৰূপেই শান্তিপূৰ্ণ, ইয়াৰ নামেই আছিল অহিংস সংগ্ৰাম, ইয়াৰ মূল কথা হৈছে ভাৰতবৰ্ষক শাসন আৰু শোষণ কৰাৰ কামত চৰকাৰক আমি কোনো ৰকমৰ সাহায্য নকৰোঁ। একেবাৰে বহুতো বস্তু আমি বৰ্জন কৰিব লাগিব, এই বিদেশী চৰকাৰে দিয়া সকলো উপাধি আৰু খিতাব বৰ্জন, চৰকাৰী চাকৰী আদি বৰ্জন, উকিল গোচৰীয়া দুয়োৱেই আদালত বৰ্জন। চৰকাৰী স্কুল আৰু কলেজ বৰ্জন, মণ্টেগু চেমচফোৰ্ডে কৰা সংস্কাৰ ব্যৱস্থাৰ ফলত নতুন যি কাউন্সিল তৈয়াৰ কৰা হৈছে সেইবোৰ বৰ্জন কৰা হব, কৰ দিয়া বন্ধ কৰা হব। গঠনমূলক প্ৰচেষ্টাৰ ফালে খুব জোৰ দিয়া হ'ল, হাতেৰে সূতা কটা আৰু খদ্দৰৰ ওপৰত আৰু চৰকাৰী আদালতৰ পৰিৱৰ্তে চালিচি আদালত প্ৰতিষ্ঠা কৰাৰ ওপৰত। এই কাৰ্যসূচীৰ আৰু দুটি বৰ ডাঙৰ কথা আছিল হিন্দু-মুছলমানৰ ঐক্যসাধন আৰু হিন্দুসকলৰ মাজত অস্পৃশ্যতাৰ উচ্ছেদ।

কংগ্ৰেছে তাৰ নিজৰ গঠনতন্ত্ৰ সলনি কৰি ললে। এইবাৰ ই পঁচাশঁচি এটি এটি কাৰ্যক্ষম প্ৰতিষ্ঠানত পৰিণত হল। জনসাধাৰণো ইয়াৰ সভ্য হব পাৰিব তাৰো ব্যৱস্থা কৰা হল।

ইমান দিনে কংগ্ৰেছে যি কৰি আহিছে তাৰপৰা এই কাৰ্যসূচী সম্পূৰ্ণ বেলেগ বস্তু। প্ৰকৃততে গোটেই পৃথিৱীতেই এইটো হ'ল অভিনৱ ঘটনা, কাৰণ দক্ষিণ আফ্ৰিকাত যি সত্যাগ্ৰহ হৈছিল তাৰ গণ্ডী আছিল অতি সংকীৰ্ণ। ইয়াৰ অৰ্থ হ'ল, কিছুমান লোকে তেতিয়াই অতি গুৰুতৰ ক্ষতি বৰণ কৰি লব লাগিব, ছাত্ৰসকলৰ চৰকাৰী স্কুলত পঢ়া বন্ধ কৰি দিব লাগিব। ইয়াৰ স্বৰূপ বিচাৰ কৰা তেতিয়া টান আছিল; কাৰণ ইয়াৰ লগত তুলনা কৰি ইয়াৰ মূল্য স্থিৰ কৰা যায় এনে

দ্বিতীয় বৰ ওচৰত নাছিল। পুৰণি আৰু অভিজ্ঞ কংগ্ৰেছী নেতাসকলে যে ইয়াক দেখি ইতস্ততঃ কৰিছিল, ভয় বিহ্বল হৈছিল, ইয়াত আচৰিত হ'বলগীয়া একোৱেই নাছিল। তেওঁলোকৰ মাজত সকলোতকৈ শ্ৰেষ্ঠলোক আছিল লোকমান্য তিলক, তেওঁৰ ইয়াৰ কেইদিনমান আগতে মৃত্যু হৈছে, কংগ্ৰেছৰ আন আন ডাঙৰ নেতা যিসকল আছিল তেওঁলোকৰ ভিতৰত একমাত্ৰ মতিলাল নেহৰুৱেই প্ৰথম ভাগতে গান্ধীজীৰ কাষত গৈ থিয় দিছিল। কিন্তু তথাপি কংগ্ৰেছ কৰ্মীসকলে বা সাধাৰণ লোকসকলে বা দেশৰ জনসাধাৰণে কি মত পোষণ কৰিছে সেই বিষয়ে সন্দেহৰ অৱকাশ নাছিল। তেওঁলোক উল্লাসিত হৈ উঠিল, যেন সম্মোহিত হৈ পৰিল। 'মহাত্মা গান্ধী কি জয়' বুলি উচ্চস্বৰে চিঞৰি অহিংস অসহযোগৰ এই নতুন মতত তেওঁলোকৰ অচল-অটল নিষ্ঠা ঘোষণা কৰিলে। মুছলমানসকলেও এই বিষয়ত আনন্দৰে উৎসাহিত হৈ উঠিছিল। প্ৰধানতে আলিভাতৃদ্বয়ৰ নেতৃত্বত পৰিচালিত খিলাফট কমিটিয়ে কংগ্ৰেছৰো বহু আগতে এই কৰ্মসূচীক স্বীকাৰ কৰি লৈছিল। জনসাধাৰণৰ উৎসাহ দেখি আৰু প্ৰথম ভাগত এই আন্দোলনে যি সাফল্য অৰ্জন কৰিলে তাক দেখি দুদিন নৌযাওঁতেই পুৰণি কংগ্ৰেছী নেতাসকলৰো প্ৰায় সকলোৱেই ইয়াৰ মাজত আহি প্ৰৱেশ কৰিলে।

এই আন্দোলনৰ দোষ আৰু গুণ কি আছিল বা কোন দাৰ্শনিক যুক্তিৰ ওপৰত ই প্ৰতিষ্ঠিত সেই আলোচনা এই চিঠি পত্ৰত কৰা সম্ভৱ নহয়। সেইটো অতি সূক্ষ্ম আৰু জটিল আলোচনা—একমাত্ৰ এই আন্দোলনৰ স্রষ্টকৰ্তা গান্ধীজীৰ নিজৰ বাহিৰে আন কোনোৱে বোধহয় সেইটো লৈ সুষ্ঠুৰূপে আলোচনা কৰাৰ শক্তি নাই। আমি বাহিৰৰ লোকৰ দৃষ্টিৰেই ইয়াক চাওঁ; ইমান বেগেৰে আৰু ইমান সাফল্যৰে ই দেশত বিস্তাৰ লাভ কৰিলে কেনেকৈ সেইটো উপলব্ধি কৰাৰ চেষ্টা কৰোঁ।

মই তোমাক কৈছোঁ, বিদেশীৰ শোষণ আৰু মধ্যবিত্ত শ্ৰেণীবোৰৰ মাজত নিবনুৱা সমস্যা বৃদ্ধিৰ ফলতেই জনসাধাৰণৰ আৰ্থিক দুৰৱস্থা দিনে দিনে বাঢ়ি গৈছিল। কেনেকৈ ইয়াৰ প্ৰতিকাৰ হব পাৰে? জাতীয় চেতনা বঢ়াৰ লগে লগেই জনসাধাৰণে বুজিলে ৰাষ্ট্ৰীয় স্বাধীনতা তেওঁলোকক লাগেই। স্বাধীনতা লাভ কৰা তেওঁলোকৰ প্ৰয়োজন। কেৱল পৰাধীন আৰু অস্বাধীন হৈ থকাটো হীনতাৰ পৰিচায়ক বুলিয়েই নহয়—আমাৰ দেশবাসীৰ কান্ধৰপৰা দাৰিদ্ৰ্যৰ বোজা নমাই পেলাবৰ কাৰণেও স্বাধীনতা অনাৰ প্ৰয়োজন। স্বাধীনতা অৰ্জন কৰিম আমি কেনেকৈ? নিজেই সি এদিন আহি উপস্থিত হব—ইয়াকে ভাবি মনে মনে আশা কৰি ৰহি থাকিলে ই নাহে। এইটোও স্পষ্ট বুজা যায় যে কংগ্ৰেছে ইমান দিন ধৰি নি নীচ চিঞৰ-বাখৰ ভিক্ষা প্ৰাৰ্থনাৰ নীতিৰে কম বেছি পৰিমাণে প্ৰচেষ্টা চলাই আহিছে—সেইটো জাতিৰ কাৰণে মৰ্যাদা হানিকৰ কথা, তদুপৰি তাৰদ্বাৰা কাৰ্য সিদ্ধি হোৱাৰো কোনো আশা নাই। এইবোৰ কাণ্ড কাৰখানাৰ ফলত কোনে ক'ত সাফল্য লাভ কৰিছে, কেৱল কন্দা-কটা শুনি শাসক বা ক্ষমতাৰ অধিকাৰী শ্ৰেণীয়ে তেওঁলোকৰ হাতৰ ক্ষমতা এৰি দিছে, এনে উদাহৰণ ইতিহাসত ক'তো নাই। ইতিহাসত বৰং এই কথাই, সকলোতে দেখা যায় যিবোৰ জাতি বা শ্ৰেণীয়ে পৰৰ দাস স্বৰূপে আছিল তেওঁলোকে স্বাধীনতা অৰ্জন কৰিছে হিংসা বিদ্ৰোহ আৰু বিপ্লৱৰ যোগেদি।

ভাৰতৰ লোকসকলৰ পক্ষে সশস্ত্ৰ বিদ্ৰোহ কৰাৰ কথা উঠিবই নোৱাৰে। আমাৰ ভিতৰত বেছিভাগ লোকেই অস্ত্ৰ ব্যৱহাৰ কৰিবলৈকে নেজানে। তাৰ উপৰিও কেৱল হিংসা শক্তিৰ যুঁজেই যদি কৰিবলগীয়া হয় বৃটিছ চৰকাৰৰ বা যি কোনো ৰাষ্ট্ৰৰ শক্তি সুসংহত তাৰ বিৰুদ্ধে যিখিনি শক্তি সংগ্ৰহ কৰা সম্ভৱ তাতকৈ তেওঁলোকৰ শক্তি বহুত বেছি। সৈন্য বাহিনীয়েও বিদ্ৰোহ কৰিব পাৰে, কিন্তু নিৰস্ত্ৰ জনসাধাৰণে বিদ্ৰোহ কৰিব নোৱাৰে, সশস্ত্ৰ সৈন্যৰ সন্মুখীন হৈ যুদ্ধ কৰিব নোৱাৰে। আনফালে আকৌ ব্যক্তিগতভাৱে বিভীষিকাৰ সৃষ্টি কৰা, বোমা বা পিস্তলেৰে দুই চাৰিজন কৰ্মচাৰীক বাইল কৰা—এইটোও এটা দেৱলীয়া নীতি। ইয়াৰ দ্বাৰা দেশৰ লোকৰ মানসিক অৱনতি ঘটে, আৰু ব্যক্তি হিচাপে মানুহে ইয়াত বিমানেই ভয় খাওক, এটা শক্তিশালী সুসংহিত চৰকাৰক ইয়াৰ দ্বাৰা যে ধ্বংস কৰি দিয়া যাব, এনে কল্পনা কৰাই বলিয়ালি। এই ধৰণে ব্যক্তিগত হত্যা কৰাৰ নীতি ৰুচিয়াৰ বিপ্লৱীসকলেও পৰিত্যাগ কৰিছে, সেই কথা তোমাক কৈছোঁ।

তেনেহলে বাঁকী থাকিল কি? ৰুচিয়াৰ বিপ্লৱ প্ৰচেষ্টা সফল হৈছে, তাত শ্ৰমিকসকলৰ প্ৰজাতন্ত্ৰ স্থাপন কৰিছে। তাৰ কামৰ প্ৰণালী আছিল জনসাধাৰণৰ জাগৰণ আৰু তাৰ পিচত সৈন্যবাহিনীৰ সমৰ্থন। কিন্তু ৰুচিয়াতো চোভিয়েট-সকলে জয়লাভ কৰিছে এনে এটা মুহূৰ্ত্তত যেতিয়া যুদ্ধৰ ফলত গোটেই দেশখন আৰু তাৰ পুৰণি শাসন ব্যৱস্থাবোৰ ভাঙি একেবাৰে চাৰখাৰ হৈ গৈছে; এওঁলোকক বাধা দিবলৈ কোনো এটা বাছি নাছিল। তদুপৰি ভাৰতবৰ্ষত অতি কম সংখ্যক লোকেই তেতিয়া ৰুচিয়া বা মাৰ্ক্সবাদৰ নাম শুনিছে বা শ্ৰমিক আৰু কৃষকসকলৰ কথা ভাবিব শিকিছে।

এতেকে দেখা গ'ল ইয়াৰ কোনো পথেই আমাৰ কাৰণে মুকলি নাছিল। মনত হ'ল, হীন দাসত্বৰ, এই অসহ্য দুৰ্গতিৰপৰা মুক্তি লাভ কৰাৰ কোনো আশাই আমাৰ নাই। যিসকলৰ মনত অলপ চেতনা আছিল তেওঁলোক বৰ হতাশ হ'ল। নিজকে একেবাৰে অসহায়ৰ দৰে ভাবিবলৈ ধৰিলে। ঠিক এই মুহূৰ্ত্তে আহিল গান্ধীজী, তেওঁৰ অসহযোগ কাৰ্যসূচী আগত দাঙি ধৰিলে। আয়াৰলেণ্ডৰ চিনফেইন আন্দোলনৰ দৰে এই কাৰ্যসূচীয়েও আমাক শিকালে নিজৰ ওপৰত নিৰ্ভৰ কৰিবলৈ, নিজৰ শক্তিক গঢ়ি তুলিবলৈ; চৰকাৰক হেঁচা দি কথা শুনোৱাৰ ব্যৱস্থা হিচাপে ইয়াৰ শক্তি প্ৰচুৰ, সেইটোও সহজে বুজা যায়। ইচ্ছাতেই হওক বা অনিচ্ছাতেই হওক ভাৰতবাসীয়ে নিজেই চৰকাৰৰ সকলো কাৰ্য চলোৱাত সাহায্য কৰিছে; ভাৰত চৰকাৰ বহুদূৰ পৰিমাণে চলি আছে, তেওঁলোকৰ সেই সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰি। এওঁলোকৰ এই সহযোগিতা তেওঁলোকে যদি নাপায়, সকলো কথাতে যদি তেওঁলোকক আমি বৰ্জন কৰি চলিব পাৰোঁ, তেন্তে যুক্তিৰ ফালৰপৰা অন্ততঃ কম—চৰকাৰৰ গোটেই 'কঠামাটো' অনায়াসে ধূলিস্যাৎ হৈ যাব এইটো একো অসম্ভৱ নহয়। আনকি ইমান দূৰলৈকে যদি অসহযোগ আগ্নি নকৰোও তথাপি যিখিনি কৰিম—তাতেই চৰকাৰ অতি অসুবিধাত পৰিব; আৰু লগে লগে ইফালে জনগণৰো শক্তি বহুত বাঢ়ি উঠিব—ইয়াতো সন্দেহ নাই। সেই অসহযোগ হব সম্পূৰ্ণৰূপে অহিংস, তথাপি কিন্তু ই কেৱল প্ৰতিৰোধ নকৰাটোৱেই নহয়। সত্যাগ্ৰহ মানে হ'ল যাক আমি অন্যায় বুলি ভাবোঁ তাক সুনিশ্চিতভাৱে প্ৰতিৰোধ

কৰা, অৱশ্যে অহিংস উপায়েৰে। ন্যাচলতে ই হৈছে এটা অহিংস বিদ্ৰোহ, অতিশয় সুসভ্য ৰীতিৰ এখন যুদ্ধ ঘোষণা, অথচ ৰাষ্ট্ৰৰ অস্তিত্বকেই বিপন্ন কৰি তোলাৰ শক্তি ইয়াৰ আছে। জনসাধাৰণক সংগ্ৰামত উদ্বুদ্ধ কৰি তুলিবলৈ এইটো অতি সুন্দৰ উপায়, দেখি মনত হল ভাৰতীয় প্ৰজাৰ নিজস্ব প্ৰকৃতি আৰু প্ৰতিভাৰ লগত ইয়াৰ আচৰিত মিল আছে। ইয়াত আমি যিমান সম্ভৱ সদ্ব্যৱহাৰকে দেখুৱাই কম, অপৰাধ বা ত্ৰুটী আছে সকলো গৈ পৰিব বিপক্ষৰ গাত। আমি ইমান দিন ভয়তে সঙ্কুচিত হৈ আছিলোঁ, ইয়াৰ জৰিয়তে সেই ভয়ক আমি জয় কৰিম, মুখ তুলি সকলোৰে আগত থিয় হব পাৰিম, যিবোৰ ইয়াৰ আগতে আমি কোনো দিনেই পৰা নাছিলোঁ। আমাৰ মনৰ কথা সম্পূর্ণ আৰু সবলভাৱে খুলি কব পাৰিম। আমাৰ মনৰ ওপৰত এদিন যি গধুৰ বোজাই হেঁচা মাৰি ধৰি আছিল সেইটো এতিয়া আঁতৰি যাব, বচন আৰু কামৰ এই নতুনকৈ লাভ কৰা স্বাধীনতাই আমাৰ মনক আত্মবিশ্বাস আৰু শক্তিয়ে পৰিপূৰ্ণ কৰি তুলিব। শেষ কথা—এই ধৰণৰ সংগ্ৰামত চিৰদিন অতি তীব্ৰ জাতিগত বিদ্বেষৰ সৃষ্টি হৈ আহিছে, এই নতুন পথটি হব শক্তিৰ পথ, ইয়াত সেই ধৰণৰ বিদ্বেষ সৃষ্টিৰ সম্ভাৱনা বহুতো কমি যাব, এতেকে দুয়ো পক্ষৰ মাজত বিবাদৰ শেষ মীমাংসা কৰাত সহজসাধ্য হৈ পৰিব।

অসহযোগৰ এই অভিনৱ কাৰ্যসূচী, ইয়াৰ লগত আকৌ আছে গান্ধীজীৰ অপূৰ্ব ব্যক্তিত্ব—এতেকে ইয়াকে দেখি দেশৰ সকলো লোকৰেই মন আকৃষ্ট হ'ল, আশাত ভৰি উঠিল, ইয়াত আচৰিত হবলগীয়া একোৱেই নাই। অসহযোগৰ মন্ত্ৰ দেশত বিয়পি পৰিল, আৰু ইয়াৰ পৰশ লগাৰ লগে লগেই ইমান দিনে যি হীন দুৰ্বলতাই আমাক আগুৰি আছিল, সেইটো লুপ্ত হৈ যাব ধৰিলে। নতুন ৰূপত জীৱন পোৱা এই কংগ্ৰেছে দেশৰ প্ৰাণস্বৰূপ লোক যি য'ত আছিল সকলোকে নিজৰ কোলালৈ আকৰ্ষণ কৰি আনিলে, দিনে দিনে ইয়াৰ শক্তি আৰু মৰ্যদা বাঢ়িব ধৰিলে।

ইতিমধ্যে মণ্টেগু চেমচফোৰ্ড ৰচিত শাসন সংস্কাৰৰ পৰিকল্পনা অনুসৰি নতুন ধৰণৰ কাউন্সিল আৰু এচেম্বলী তৈয়াৰ কৰা হৈছে। নৰমপন্থীসকলৰ নাম তেতিয়া উদাৰ পন্থী, তেওঁলোকে এইবোৰ ঘটনাক সাদৰেৰে অভ্যৰ্থনা জনাইছে, এই শাসন ব্যৱস্থাৰ অধীনত মন্ত্ৰী আৰু আন আন কৰ্মচাৰীৰ পদ অধিকাৰ কৰি বহিছে। তেওঁ-লোক আচলতে চৰকাৰৰ গোষ্ঠীত সোমাই পৰিছে, দেশৰ লোকেও আৰু তেওঁলোকক সমৰ্থন নকৰা হৈছে। কংগ্ৰেছে এই সকলো আইন সভাক বৰ্জন কৰিছে, দেশৰ লোকে এইবোৰৰ ফালে সমূলি চকু কৰা নাই। ইয়াৰ বাহিৰত দেশৰ প্ৰত্যেক চহৰে চহৰে, গাৱেঁ গাৱেঁ যি প্ৰকৃত সংগ্ৰাম তেতিয়া চলিছে, সকলোৰে চকু থিয় হৈ আছে তাৰ ফালে। সেয়ে প্ৰথম বহুসংখ্যক কংগ্ৰেছকৰ্মী গাওঁবিলাকত গৈ উপস্থিত হৈছে গৈ, তাত কংগ্ৰেছ কমিটি প্ৰতিষ্ঠা কৰিছে, গাৱঁলীয়া ৰাইজৰ মাজত ৰাজনৈতিক চেতনা জগাই তুলিছে।

অৱস্থাই ক্ৰমে চৰম সীমা পালেগৈ। ১৯২১ চনৰ ডিচেম্বৰ মাহত দুয়ো পক্ষৰ সংঘাত হল—হবই লগা কথা। এই সংঘাতৰ উপলক্ষ আছিল প্ৰিন্স অব ৱেলচৰ (ইংলণ্ডৰ যুৱৰাজ) ভাৰত আগমন। কংগ্ৰেছে ইয়াক বৰ্জন কৰিলে। ভাৰতৰ সকলোতে দলে দলে লোকক গ্ৰেপ্তাৰ কৰা হ'ল, হাজাৰ হাজাৰ 'ৰাজনৈতিক

বন্দী'ৰে সকলো জেল ভৰি ভৰি পৰিল। আমাৰ ভিতৰত বহুতেই সেই প্ৰথম বাৰৰ কাৰণে সোৱাদ পালে-জেললৈ গ'লে কোনে লাগে। কংগ্ৰেছৰ নৱনিৰ্বাচিত সভাপতি চিত্তৰঞ্জন দাসকো গ্ৰেপ্তাৰ কৰা হ'ল, তেওঁৰ ঠাইত কংগ্ৰেছৰ আহমেদাবাদ অধিবেশনত সভাপতিত্ব কৰিলে হাকিম আজমল খাঁই। গান্ধীজীক কিন্তু তেতিয়া গ্ৰেপ্তাৰ নকৰিলে। আন্দোলন ক্ৰমে বাঢ়িবলৈ ধৰিলে, যিমানলোকক গ্ৰেপ্তাৰ কৰিম বুলি তেওঁলোক আগ্ৰহাই আছে, দেখা গ'ল তেওঁলোকৰ সংখ্যা সকলোতে যিসকল গ্ৰেপ্তাৰ হৈছে তেওঁলোকতকৈ বহুত বেছি। ডাঙৰ ডাঙৰ প্ৰসিদ্ধ নেতা-সকল আৰু কৰ্মীসকল জেললৈ জোৱাৰ লগে লগেই তেওঁলোকৰ ঠাইত আহি বহিব ধৰিলে সিমান নতুন অনভিজ্ঞ আৰু বহুক্ষেত্ৰত অবাঞ্ছিত লোক (বহু সময়ত গুপ্তচৰ আদিও)। তাৰ ফলত কামত বিশৃঙ্খলতাই দেখা দিলে—কোনো কোনো ক্ষেত্ৰত হিংসাও অনুষ্ঠিত হ'ল। ১৯২২ চনৰ প্ৰথম ভাগত যুক্তপ্ৰদেশৰ গোৰখপুৰৰ কাষত চৌৰীচৌৰাত এদিন কৃষক আৰু পুলিচৰ সংঘৰ্ষ হ'ল, শেষত কৃষকসকলে পুলিচ থানাখন পুৰি দিলে—থানাৰ ভিতৰত কেইজনমান পুলিচৰ লোক আছিল—তেওঁলোককো। এই ঘটনা আৰু কেইটামান ঘটনাৰ ফলত গান্ধীজী অতিশয় মৰ্মাহত হ'ল। এই সকলো ঘটনাত প্ৰমাণ হ'ল—আন্দোলনৰ মাজত হিংসাত্মক বৃত্তি আহি পৰিছে। গান্ধীজীৰ কথামতে কংগ্ৰেছৰ ওৰ্কিং কমিটিয়ে অসহযোগ আন্দোলনৰ ভিতৰুৱা আইন ভঙাৰ অংশটো বন্ধ কৰি দিলে। ইয়াৰ কেইদিনমান পিছত গান্ধীজী নিজেও গ্ৰেপ্তাৰ. বিচাৰত তেওঁৰ প্ৰতি ছয়মাহ কাৰাদণ্ডৰ আদেশ হ'ল। সেইটো ১৯২২ চনৰ মাৰ্চ মাহৰ কথা। অসহযোগ আন্দোলনৰ প্ৰথম অধ্যায় ইয়াতেই শেষ হ'ল।

(১৬১)

ভাৰতবৰ্ষ ঃ ১৯২০ চনৰ পিচত

১৪ মে ১৯৩৩

১৯২২ চনত আইন অমান্য আন্দোলন বন্ধ কৰি দিয়া হ'ল। অসহযোগ আন্দোলনৰ প্ৰথম অধ্যায়ো তাৰ লগে লগেই শেষ হ'ল। কিন্তু আন্দোলন এনেভাৱে বন্ধ কৰি দিয়াত কংগ্ৰেছ কৰ্মীসকলৰ বহুতেই অতিশয় ক্ষুব্ধ হ'ল। বিৰাট এটি জাগৰণ আহিছিল দেশত। প্ৰায় ত্ৰিশ হেজাৰ সত্যাগ্ৰহীয়ে কাৰাবৰণ কৰিছে। এইবোৰ আটাইবে কি কোনো মূল্য নাই। চৌৰীচৌৰাত কেইজনমান উত্তেজিত দৰিদ্ৰ কৃষকে এটা অন্যায় কৰি পেলাইছে— সেই বুলিয়েই ইমান ডাঙৰ এটা আন্দোলনক তাৰ উদ্দেশ্য সিদ্ধি হোৱাৰ আগতে মাজ বাটতে হঠাৎ থমাই দিয়া হ'ব ? স্বৰাজ এতিয়াও বহুত দূৰত আৰু বৃটিছ চৰকাৰৰ কাম কাজ ঠিক আগৰ দৰে চলিছে। দিল্লীত আৰু প্ৰদেশ সমূহত কিছুমান আইনসভা প্ৰতিষ্ঠা কৰা কৰা হৈছে ; কংগ্ৰেছে সেইবোৰক বৰ্জন কৰি চলিছে। এইবোৰ কাউন্সিলৰ প্ৰকৃত ক্ষমতা বুলিবলৈ একোৱেই নাছিল। গান্ধীজী তেতিয়া জেলত।

পিছৰ কৰ্মপন্থা লৈ কংগ্ৰেছ কৰ্মীসকলৰ মাজত বৰ বাদানুবাদ হ'ল, আৰু আৰু কংগ্ৰেছৰ কাৰ্য প্ৰণালীৰ পৰিবৰ্ত্তন সমৰ্থনকাৰী এটি ৰাজনৈতিক দ'ল গঢ়ি উঠিল—ইয়াৰ নাম হ'ল 'স্বৰাজ্যদল'। এওঁলোকে ক'লে অসহযোগ নীতিৰ কৰ্ম সূচীত যি বৰ্জন সংকল্প আছে তাক এটি বিষয়ত অলপমান সলনি কৰি লোৱা দৰকাৰ—কাউন্সিল বৰ্জনৰ সিদ্ধান্তটো উঠাই দিব লাগিব। ইয়াতে কংগ্ৰেছৰ মাজত এটা দলাদলি সৃষ্টি হ'ল—কিন্তু শেষলৈকে স্বৰাজ্য দলেই—অধিক প্ৰভাৱশালী আৰু প্ৰতিপত্তিশালী হৈ উঠিল।

কংগ্ৰেছ কৰ্মীসকলে আইন সভাত প্ৰৱেশ কৰি বৰ গৰম গৰম বক্তৃতা দিলে আৰু চৰকাৰী বাজেট মঞ্জুৰ হ'ব নিদিলে। চৰকাৰে অৱশ্যে তেওঁলোকৰ এইবোৰ প্ৰস্তাৱ আৰু ভোট গ্ৰাহ্য নকৰিলে আৰু যি বাজেট আইন সভাত মঞ্জুৰ নহ'ল— বৰলাটে সেইখনকে চাৰ্টিফিকেটৰ বলত নিজে মঞ্জুৰ কৰি দিলে। আইন সভাৰ ভিতৰত কংগ্ৰেছ কৰ্মীসকলৰ এইবোৰ কাৰ্যকলাপে কিছুদিনৰ কাৰণে দেশৰ ভিতৰত আন্দোলনৰ ঢৌ জগাই ৰাখিলে হয় কিন্তু ইয়াৰদ্বাৰা আন্দোলনৰ আদৰ্শ কিছু পৰিমাণে সংকীৰ্ণ হৈ প'ল, কিয়নো এই কামৰ লগত জনসাধাৰণৰ ঘনিষ্ঠ

সম্পৰ্ক নাছিল, আৰু ইয়াৰে প্ৰতিক্ৰিয়াশীলসকলৰ লগত অৰুচিকৰ আপোচ ব্যৱস্থা কৰিব লগীয়া হ'ল।

১৯২০ চনৰ পিছত এই কালছোৱাত যিবোৰ বিভিন্ন ঘটনা আৰু আন্দোলনে ভাৰত বৰ্ষক চঞ্চল কৰি ৰাখিবলৈ তাৰ কিছু পৰিমাণে বুজিবলৈ চেষ্টা কৰা যাওক। প্ৰায় সকলোতকৈ ডাঙৰ কথা আছিল হিন্দু-মুছলমান সমস্যা। সম্প্ৰদায়ৰ মাজত সংঘাট ক্ৰমে বাঢ়ি আহিছিল মছজিদৰ আগত বাদ্য বজোৱা আদি সামান্য কিছুমান কথালৈ উত্তৰ ভাৰতৰ বহুতো ঠাইত বহুত মৰামৰিও সংঘটিত হৈছিল— অসহযোগ আন্দোলনৰ সময়ত দুয়োৰো মাজত অপূৰ্ব একতা দেখা গৈছিল। তাৰ পিচত আকৌ এই পৰিৱৰ্তন যিমান আকস্মিক সিমানেই বিস্ময়জনক। এই পৰিৱৰ্তন হ'ল কিয় ? আগৰ দিনত সেই ঐক্যই বা ঘটিছিল কিহৰ বলত ?

জাতীয় আন্দোলন হৈছিল প্ৰধানতঃ দেশৰ আৰ্থিক আৰু নিবনুৱা সমস্যাক ভিত্তি কৰি। এই দুৰ্গতিৰ ফলত দেশৰ সকলো সম্প্ৰদায়ৰ মনত একেলগে এটা বৃটিছ চৰকাৰ বিৰোধীভাব আৰু স্বৰাজৰ কাৰণে এটা অস্পষ্ট কামনা জাগি উঠিছিল এই বিৰোধৰ প্ৰবৃত্তিয়েই সকলোকে টানি একেলগ কৰিছিল। সেই বন্ধনৰ বলতে সকলোৱে এক হৈ যুঁজিছিল, কিন্তু বিভিন্ন দলৰ উদ্দেশ্য আছিল বিভিন্ন। স্বৰাজ বোলোতে ইয়াৰ এটা এটা দলে এক এক ধৰণৰ কথা বুজিছিল—নিবনুৱা মধ্যবিত্ত শ্ৰেণীয়ে বুজিছিল স্বৰাজ হ'লে তেওঁলোকে চাকৰি পাব, খেতিয়ক সকলে ভাবিছিল জমিদাৰে তেওঁলোকৰ ওপৰত যি বহু ধৰণৰ বোজা জাপি দিছিল, তাৰপৰা তেওঁলোকে মুক্তি পাব, ইত্যাদি। ধৰ্মগত সম্প্ৰদায়ৰ ফালৰপৰা ইয়াৰ ফালে চালে দেখা যাব মুছলমানসকলে জাতি হিচাবে এই আন্দোলনত যোগ দিছিল, সেইটো প্ৰধানকৈ খিলাফটৰ কাৰণে, এইটো এটা বিশুদ্ধ ধৰ্মগত বস্তু, একমাত্ৰ মুছলমানসকলৰ কথা, অ-মুছলমানসকলৰ ইয়াৰ লগত কোনো সম্পৰ্কই নাছিল। গান্ধীজীৰ কিন্তু তথাপি বিশ্বাস আছিল বিপন্ন ভাইক সহায় কৰাই তেওঁৰ কৰ্তব্য। ইয়াৰ দ্বাৰাই হিন্দু আৰু মুছলমান দুয়ো ঘনিষ্ঠ বন্ধু হৈ পৰিব—এই আশাও তেওঁৰ মনত আছিল। মুছলমানসকলৰ সাধাৰণ মনোভাৱ আছিল, এটি মুছলিম জাতীয়তাবাদ বা মুছলিম আন্তৰ্জাতীয়তাবাদ, নিভাঁজ জাতীয়তাবাদ নহয়। তথাপি এই দুয়োৰে মাজত প্ৰভেদখিনি সেইদিনা স্পষ্ট হৈ চকুত পৰা নাছিল।

আনফালে আকৌ হিন্দুসকলে জাতীয়তাবাদ বুলিলে যি বুজে সেইটোও নিঃসন্দেহে আছিল হিন্দু জাতীয়তাবাদ। এই ক্ষেত্ৰত এই হিন্দু জাতীয়তাবাদ আৰু প্ৰকৃত জাতীয়তাবাদৰ মাজত পাৰ্থক্যৰ এটি স্পষ্ট ৰেখা টনাও সহজ নাছিল (মুছলমান সকলৰ বেলিকা সেইটো সহজ আছিল)। এই দুয়োটাই দুয়োটাৰ লগত সাঙোৰ খাই গৈছিল, কাৰণ ভাৰতবৰ্ষই হৈছে হিন্দুসকলৰ একমাত্ৰ বাসস্থান আৰু এইদেশত তেওঁলোকেই সংখ্যা গৰিষ্ঠ। সেই কাৰণেই মুছলমানসকলৰ তুলনাত হিন্দুসকলে বেছি সহজে নিভাঁজ জাতীয়তাবাদৰ ৰূপ লৈ থিৰ হ'ব পাৰিছিল-মুছলমানসকলৰ পক্ষে সেইটো সম্ভৱ নহৈছিল। আচলতে দুয়ো দলৰেই কাম আছিল তেওঁলোকৰ নিজস্ব প্ৰকাৰৰ জাতীয়তাবাদ প্ৰতিষ্ঠা কৰা।

তৃতীয়তে আছিল যিহক প্ৰকৃত ভাৰতীয় জাতীয়তাবাদ বুলি কব পাৰি জাতীয়তাবাদৰ আগৰ দুটা ধৰ্মগত বা সম্প্ৰদায়গত নমুনাৰপৰা সি একেবাৰে বেলেগ বস্তু। সঁচা কথা কবলৈ গলে, এইটোৱেই হৈছে ইয়াৰ একমাত্ৰ ৰূপ, যাক আধুনিক অৰ্থত জাতীয়তাবাদ বুলিব পাৰি। এই তৃতীয় দলত অৱশ্যে হিন্দু মুছলমান আৰু আন আন সকলো সম্প্ৰদায়ৰ লোকেই আছিল। ১৯২০ চনৰপৰা ১৯২২ চনলৈকে অসহযোগ আন্দোলনৰ সময়ত, এই তিনিটা জাতীয়তাবাদী দৈবক্ৰমে আহি একত্ৰিত হ'ল। এওঁলোক তিনিদলৰে পথ বেলেগ, কিন্তু সেই সময়ত সেই পথবোৰ পৰস্পৰ ওচৰাওচৰিকৈ চলিছিল।

১৯২১ চনৰ সেই গণ-আন্দোলন দেখি বৃটিছ চৰকাৰ একেবাৰে বিহ্বল হৈ পৰিল। বহুদিনৰ আগৰেপৰাই তেওঁলোকে ভু পাইছিল, তথাপি মনেকৈ ইয়াক দমোৱা যায় তেওঁলোকে ভাবিবকে নোৱাৰিলে। চিৰদিন যি তেওঁলোকৰ অভ্যস্ত অস্ত্ৰ—গ্ৰেপ্তাৰ কৰা আৰু শাস্তি দিয়া—সেইটো এই ক্ষেত্ৰত নচলিল—কাৰণ কংগ্ৰেছে নিজেও তাকেই বিচাৰিছে। এতেকে চৰকাৰ গুপ্ত পুলিচ বিভাগে ভাবি-চিন্তি এনে এটা কৌশল বাহিৰ কৰিলে যাতে ভিতৰৰপৰাই কংগ্ৰেছক দুৰ্বল কৰি আনিব পৰা যায়। পুলিচৰ বহুতো চোৰাংচোৱা, গুপ্তচৰ বিভাগৰ বহুতো কৰ্মচাৰী কংগ্ৰেছ কমিটিবোৰৰ মাজত সোমাই পৰিল, তাত বহি গণ্ডগোলৰ সৃষ্টি কৰিব ধৰিলে, জনসাধাৰণক তেওঁলোকক হিংসাত্মক কামত প্ৰৰোচিত কৰিব ধৰিলে আৰু এটি বুদ্ধি উলিয়ালে সাধু আৰু ফকিৰৰ ছদ্মবেশ ধৰি তেওঁলোকৰ গুপ্তচৰবোৰে দেশৰ সকলোতে বিয়পি পৰিল, সাম্প্ৰদায়িক দ্বন্দ্ব খৰিয়ালৰ বাবে উচতনি দিব ধৰিলে।

জনসাধাৰণৰ ইচ্ছাৰ বিৰুদ্ধে যিবোৰ চৰকাৰে ৰাজ্য শাসন কৰে, তেওঁলোকে অৱশ্যে সকলোতে এনে ধৰণৰ সকলো কৌশলৰ ব্যৱহাৰ কৰে। এইবোৰ হৈছে সাম্ৰাজ্যবাদী জাতিবোৰৰ ব্যৱসায়ৰ মূলধন। এই কৌশল যদি সফল হয়, সেইটো চৰকাৰৰ পাপৰ প্ৰমাণ সিমানখিনি নহয়—যিমান খিনি প্ৰমাণ সেই প্ৰজাসকলৰ দুৰ্বলতা আৰু অকৰ্মণ্যতাৰ। আন এটি জাতিৰ মাজত বিভেদ সৃষ্টি কৰা, তেওঁলোকৰ নিজৰ ভিতৰত বিৰোধ লগাই দিয়া আত্মকলহত দুৰ্বল কৰি, তাৰ পিছত তেওঁলোকক শোষণ কৰি নিয়া—এইটো যদি কোনোৱে পাৰে—তেনেহলে সেইটোৱেইতো তেওঁলোকৰ ডাঙৰ শক্তি, সংগঠন ব্যৱস্থাৰ ডকাটা প্ৰমাণ। এই নীতি সফল হ'ব পাৰে কেৱল তাত—য'ত আন পক্ষৰ নিজৰ ভিতৰত দলাদলি আৰু ভাগ ভাগ আছে। ভাৰতবৰ্ষ হিন্দু-মুছলমানৰ বিৰোধ বৃটিছ চৰকাৰেই সৃষ্টি কৰিছে, এই কথা ক'লে তেনেই মিছা কোৱা নহ'ব। কিন্তু তেনেকৈ আকৌ, এই বিৰোধক জীয়াই ৰাখিবলৈ এই দুই সম্প্ৰদায়ৰ মিলন পথত অন্তৰায় সৃষ্টি কৰিবলৈ যি চেষ্টা তেওঁলোকে সদায়েই কৰি আহিছে, সেইটোও অস্বীকাৰ কৰিবলৈ উপায় নাই।

১৯২২ চনত অসহযোগ আন্দোলন বন্ধ হ'ল। এই শ্ৰেণীৰ চক্ৰান্ত চলাবলৈ তেতিয়া এটা সোণালী সুযোগ। অতিশয় কঠিন এটি অভিযান তেতিয়া হঠাৎ শেষ হৈ গৈছে, তাৰ কোনো ফলো আহি পোৱা নাই—তাৰ পিছতে আহিছে তাৰ

কাৰণে এটি ওলোটা প্ৰতিক্ৰিয়া। দলগ তিনি বিভিন্ন শাখা ইবান দিন ওচৰা-ওচৰি আছিল, এইবাৰ সিহঁত ক্ৰমে বেঁকা হৈ এটাৰপৰা আনটো আঁতৰি যাব ধৰিলে। খিলাফট সমস্যাৰ কথা তেতিয়া আৰু নুঠে। অসহযোগ আন্দোলনৰ সময়ত গণ উন্মাদনাৰ হেঁচাত পৰি, কি হিন্দু, কি মুছলমান সকলো সম্প্ৰদায়ৰ নেতাসকলে অলপ নিস্তেজ হৈ পৰিছিল, এইবাৰ তেওঁলোকে আকৌ মূৰ তুলি থিয় হ'ল, আকৌ বিষ উদ্গীৰণ কৰিবলৈ ধৰিলে। নিবনুৱা মধ্যবিত্ত মুছলমানসকল দেখিলে, হিন্দু সকলেই সকলো চাকৰী-বাকৰী একচেতিয়াভাৱে দখল কৰি বহি আছে, তেওঁলোকৰ উন্নতিৰ পথত বাধা দি আছে। সেয়ে তেওঁলোকে দাবী কৰিলে তেওঁলোকক বেলেগ কৰি ভাগ দিব লাগিব। ৰাজনীতিৰ ফালৰপৰা কব পাৰি, এই হিন্দু-মুছলমানৰ সমস্যাটো আচলতে আছিল মধ্যবিত্ত শ্ৰেণীৰ কথা, চাকৰী লৈ কাজিয়া, ইয়াৰ প্ৰভাৱ অৱশ্যে জনসাধাৰণৰ মাজলৈকো বিয়পিল।

সম্প্ৰদায় হিচাবে মুছলমানসকলৰ তুলনাত হিন্দুসকলৰ অৱস্থা ভাল আছিল। ইংৰাজী তেওঁলোকে আগেয়ে লৈছে, এতেকে চৰকাৰী চাকৰীৰ বোঁছভাগ তেওঁলোকেই দখল কৰিছে। টকা-কড়িও তেওঁলোকৰ বেছি, গাৱঁৰ মহাজন বা ব্যাঙ্কাৰ হৈছে বণিয়া, সৰু সৰু জমিদাৰ, আৰু প্ৰজাসকলক সিহঁতে শোষণ কৰি ক্ৰমানুয়ে তেওঁলোকক একেবাৰে ভিখাৰীত পৰিণত কৰি, তেওঁলোকৰ মাটি টুকুৰাও নিজৰ হাতলৈ নিয়ে। বণিয়াসকলে অৱশ্যে সকলো জাতিৰ প্ৰজা আৰু জমিদাৰকেই সমানভাৱে শোষণ কৰে; হিন্দু বা মুছলমান বুলি বিচাৰ নকৰে। তথাপি তেওঁলোকৰ হাতত মুছলমানসকলৰ শোষণে এটি সাম্প্ৰদায়িক ৰূপ ধাৰণ কৰিলে, বিশেষকৈ যিবোৰ প্ৰদেশত খেতিয়কবোৰ প্ৰধানকৈ মুছলমান তাত। কলকাৰখানাত তৈয়াৰী বস্তুৰ ব্যৱহাৰ বাঢ়ি যোৱাৰ ফলতো বোধ হয় হিন্দুতকৈ মুছলমানসকলৰ দুৰ্দশা বাঢ়িল বেছি, কাৰণ কাৰু শিল্পীৰ সংখ্যা মুছলমানসকলৰ ভিতৰতেই বেছি আছিল। এই প্ৰত্যেকটি কথাৰ কাৰণেই ভাৰতবৰ্ষৰ এই দুটি ডাঙৰ সম্প্ৰদায়ৰ মাজত মনোমালিন্য ক্ৰমে বাঢ়ি গ'ল; মুছলমানসকলৰ জাতীয়তাবাদৰো জোৰ বাঢ়িল—সেই জাতীয়তাবাদে দেশক নিচিনিলে—চিনিলে সম্প্ৰদায়ক।

এই সাম্প্ৰদায়িক নেতা সকলে এনে কিছুমান দাবী উত্থাপন কৰিলে, যাৰ হেচাত ভাৰতৰ নিভাঁজ জাতীয় ঐক্য প্ৰতিষ্ঠাৰ সকলো আশা ভৰসা চুড়মাৰ হৈ গ'ল। তেতিয়া তেওঁলোকৰ সেই সাম্প্ৰদায়িকতাৰ সমান উত্তৰ দিয়াৰ আগ্ৰহত হিন্দুসকলৰো সাম্প্ৰদায়িক সংগঠন ডাঙৰ হৈ উঠিল। এওঁলোকে নিভাঁজ জাতীয়তাবাদ বুলি ভাও ধৰিছিল, অথচ ঠিক বিপক্ষদলৰ সন্মুখত সাম্প্ৰদায়িক আৰু সংকীৰ্ণ বুদ্ধি লৈ চলিছিল।

কংগ্ৰেছে প্ৰকৃতপক্ষে এই সকলো সম্প্ৰদায়ক প্ৰতিষ্ঠানৰ দূৰতে আঁতৰি আছিল, কিন্তু কংগ্ৰেছৰ কৰ্মীসকলৰ বহুতে ব্যক্তিগত ভাৱে ইয়াৰ পাকত সাঙোৰ খাই পৰিল। নিভাঁজ জাতীয়তাবাদী যিসকল আছিল তেওঁলোকে এই সাম্প্ৰদায়িক উন্মত্ততাক বন্ধ কৰিবলৈ চেষ্টা কৰিলে, কিন্তু সেই চেষ্টা বিশেষ সফল ন'হল, দেশৰ বহুত ঠাইত ডাঙৰ ডাঙৰ কাজিয়া হ'ল।

ইয়াৰ ওপৰত আকৌ নতুন এটা দলগত জাতীয়তাবাদে আহি দেখা দিলে,—

শিখসকলৰ জাতীয়তাবাদ। শিখ আৰু হিন্দুসকলৰ মাজত পাৰ্থক্য ঠিক ক'ত আগেয়ে সেইটো বিশেষ স্পষ্ট নাছিল। শিখসকল শক্তিত বলীয়ান। জাতীয়তাবাদৰ বতাহে তেওঁলোককো জগাই তুলিলে, তেওঁলোকেও নিজৰ এটি স্পষ্ট আৰু পৃথক অস্তিত্ব প্ৰতিষ্ঠিত কৰিবৰ কাৰণে চেষ্টা কৰিলে। শিখসকলৰ মাজত বহুতো লোক আছিল, যি সকল সৈনিক আছিল। সৰু অথচ সংগঠিত এই সম্প্ৰদায়টোক তেওঁলোকে শক্তি মন্ত্ৰত দীক্ষিত কৰি তুলিলে। ভাৰতবৰ্ষৰ অধিকাংশ দলৰ লগত শিখসকলৰ এঠাইত বৰ পাৰ্থক্য আছে তেওঁলোকে কথাভৰকৈ কাম দেখুৱাতেই বেছি অভ্যস্ত। এওঁলোকৰ ভিতৰত বেছিভাগেই আছিল পঞ্জাবৰ কৃষক ;— জমিদাৰ, এওঁলোকৰ আশঙ্কা, চহৰ অঞ্চলৰ মহাজন আৰু আন আন লোকসকলে এওঁলোকক বিপন্ন কৰি তুলিছে। আচলতে এই কাৰণেই এওঁলোকে এটা বেলেগ সম্প্ৰদায় বুলি পৰিচয় দিব বিচাৰিছিল। প্ৰথমতে ধৰা যাওক, আকালি আন্দোলনৰ কথা। শিখসকলৰ ভিতৰত আকালি সকলেই হৈছে বেছি কৰ্মঠ আৰু উদ্যোগী দল তেওঁলোকৰ নামৰপৰাই এই আন্দোলনৰ নাম হৈছে আকালি দল। এই আন্দোলনৰ উদ্দেশ্য আছিল ধৰ্ম সংক্ৰান্ত সমস্যাৰ সমাধান কৰা, তাৰ মানে ধৰ্ম মন্দিৰবিলাকৰ যিবোৰ সম্পত্তি আছিল সেইবোৰ আজুৰি অনা। এইলৈয়ে চৰকাৰৰ লগত এওঁলোকৰ বিৰোধ হ'ল, অমৃতচৰৰ ওচৰত 'গুৰু-কা-বাগ'— তাত সাহস আৰু ধৈৰ্যৰ এক অপূৰ্ব পৰীক্ষা দেখুৱালে এওঁলোকে। আকালি জাঠাবোৰৰ ওপৰত পুলিচে বৰ নৃশংসভাৱে মাৰপিট চলালে, তথাপি তেওঁলোক এখোজো পিচুৱাই নগ'ল, এবাৰো পুলিচৰ ওপৰত হাত নুতুলিলে, শেষত আকালি দলৰেই জয় হ'ল—মন্দিৰবোৰ তেওঁলোকৰ দখলত আছিল। তাৰ-পিচত তেওঁলোক ৰাজনীতিৰ ক্ষেত্ৰত আহি উপস্থিত হ'ল, তাতো নিজৰ বাবে সুযোগ সুবিধা আদায়ৰ চৰম দাবী উত্থাপন কৰাৰ কথাত এওঁলোকেও আন আন গোটেই সাম্প্ৰদায়িক দলৰ সমানে হেঁচা দিবলৈ ধৰিলে।

বিভিন্ন সম্প্ৰদায়ৰ এই সংকীৰ্ণ সাম্প্ৰদায়িক চেতনা-মই ইয়াৰ নাম দিছোঁ দলগত জাতীয়তাবাদ। এইটো এটা দুৰ্ভাগ্যৰ বিষয় বুলি ধাৰণা হয়—আচলতে ই সিয়েই আছিল। ইয়াৰ মাজত অস্বাভাৱিক একো নাছিল। অসহযোগ আন্দোলনৰ ফলত ভাৰতৰ সকলোতে এটি জোৰ জোকাৰণি লাগিছিল, সেই আলোড়নৰ প্ৰথম ফল হ'ল এইবোৰ দলগত আত্মচেতনা, হিন্দু-মুছলমান শিখসকলৰ এই জাতীয়তা-বাদ। ইয়াৰ বাহিৰেও বহুতো সৰু সৰু দল আছিল, তেওঁলোকেও আত্মচেতনা লাভ কৰিলে ; এওঁলোকৰ মাজত বিশেষকৈ উল্লেখযোগ্য হ'ল তথাকথিত অনুন্নত শ্ৰেণীবোৰ উচ্চবৰ্ণৰ হিন্দুসকলে বহুদিন ধৰি এই জাতি সমূহক অৱজ্ঞা কৰি ৰাখিছে। এওঁলোক প্ৰধানতে আছিল মাটিহীন খেতিয়ক। আত্মচেতনা লাভ কৰাৰ লগে লগে ইমান দিন ধৰি যিবোৰ সামাজিক অধিকাৰ আৰু মৰ্য্যাদাৰ পৰা এওঁলোকক বঞ্চিত কৰি ৰখা হৈছে সেইবোৰ আয়ত্ত কৰিবৰ কাৰণে এওঁলোক অধীৰ হৈ উঠিল, বহু শতাব্দী ধৰি যি হিন্দুসকলে এওঁলোকক পদানত কৰি ৰাখি আছিছে, তেওঁলোকৰ ওপৰত এটা ভীষণ ক্ৰোধ হোৱাটো অতি স্বাভাৱিক কথা।

এইবোৰ নতুননকৈ জাগৃত হোৱা সম্প্ৰদায়বোধৰ প্ৰত্যেকে জাতীয়তাবাদ আৰু দেশপ্ৰেমৰ অৰ্থ ইয়াকে বুজিলে যে নিজৰ স্বাৰ্থ সিদ্ধি হোৱা। জাতিয়ে যিদৰে নিজৰ স্বাৰ্থটোকেহে বুজে, দল বা সম্প্ৰদায়েও তেনেদৰেই নিজৰ স্বাৰ্থটোকে ডাঙৰ কৰি দেখে, অৱশ্যে সেই সম্প্ৰদায় বা জাতিৰ মাজত বিশেষ কিছুমান লোক নিস্বাৰ্থ হৈও চলিব পাৰে। এতেকে প্ৰত্যেক দলেই নিজৰ যি ন্যায্যতকৈ বহুত বেছি পাবলৈ দাবী কৰি বহিল, তাৰ ফলত তেওঁলোকৰ মাজত সংঘাত অপৰিহাৰ্য হৈ উঠিল। বিভিন্ন সম্প্ৰদায়ৰ মাজত অবিয়া-অৰি বাঢ়ি গ'ল, তাৰ লগে লগেই বাঢ়ি গ'ল প্ৰত্যেক দলৰ উগ্ৰ সাম্প্ৰদায়িক বুদ্ধিমান নেতাসকলৰ প্ৰভাব প্ৰতিপত্তি—ক্ৰোধান্বিত অৱস্থাত প্ৰত্যেক দলেই তেওঁলোকৰ যোগ্য প্ৰতিনিধি বুলি মানি লয়—সেইলোকক—যিলোকে দলৰ দাবীসমূহক একেবাৰে চৰম পৰ্যায়ত ঠেলি তুলিব পাৰে আৰু বিপক্ষৰ দল সমূহক সকলোতকৈ বেছি উচ্চস্বৰে গালা-গালি কৰিব পাৰে। ইয়াৰ ফলতে অৱস্থা আৰু বেয়া হৈ উঠে! চৰকাৰে নানান উপায়ে এওঁলোকৰ এই কাজিয়া-পেচালক উচটাই দিব ধৰিলে, এওঁলোকৰ বিশেষ এটা কৌশল আছিল, সাম্প্ৰদায়িক নেতাসকলৰ মাজত যিসকল বেছি চৰমপন্থী তেওঁলোকক উৎসাহিত কৰা। এতেকে বিষ বাষ্প ক্ৰমে বেছিকৈ বিয়পিব ধৰিলে; মনত হ'ল আমি এই দুষ্ট চক্ৰৰ ভিতৰত পৰিছোঁ, তাৰ পাকৰপৰা ওলাই অহাৰ কোনো পথকে বিচাৰি পোৱা নাযায়।

ভাৰতবৰ্ষৰ ভিতৰত যেতিয়া এইবোৰ নতুন বস্তু আৰু নিজক বিনাশ কৰা কন্দলৰ আবিৰ্ভাৱ হ'ল, সেই সময়ত যাৰবাদা জেলত গান্ধীজী অতি টান নৰিয়াত পৰিল, আৰু অস্ত্ৰোপচাৰ কৰিব লগা হ'ল। ১৯২৪ চনৰ প্ৰথম ভাগত তেওঁ জেলৰপৰা মুক্তি পালে। সাম্প্ৰদায়িক বিৰোধ দেখি তেওঁ অতিশয় ব্যথিত হ'ল। ইয়াৰ কেইমাহমান পিছত এখন বৰ ডাঙৰ কাজিয়া হ'ল, সেইবোৰ দেখি তেওঁ ইমান আঘাট পালে যে একেবাৰে অনশন আৰম্ভ কৰি দিলে; একৈশ দিন সেই অনশন চলিল। শান্তি স্থাপনৰ কাৰণে বহুতো ঐক্য অনুষ্ঠানৰ সন্মিলন হ'ল, কিন্তু কাম একো নহ'ল।

এইবোৰ সাম্প্ৰদায়িক বিবাদ আৰু দলগত জাতীয়তাবাদৰ ফলত কংগ্ৰেছৰ শক্তিহীন হ'ল। স্বৰাজ্য দলৰ যিসকল কৰ্মী কাউন্সিলত সোমাইছিল, তেওঁলোকবো ভাত প্ৰতিপত্তি কমি গ'ল। স্বৰাজৰ আদৰ্শ তল পৰি গ'ল; বেছিভাগ লোকেই যি যাৰ দলগত ভাষাত চিন্তা কৰি কথা কব ধৰিলে। কংগ্ৰেছৰ তেতিয়া চেষ্টা হ'ল যাতে কোনো বিশেষ সম্প্ৰদায়ৰ ফালে তেওঁলোকে পক্ষপাতিত্ব নকৰে, এতেকে গোটেই সম্প্ৰদায়েই চাৰিওফালৰপৰা একেলগ তাক গালি-শপনি পাৰিব ধৰিলে। এই সময়খিনিত কংগ্ৰেছৰ প্ৰধান কাম আছিল মনে মনে থাকি সংগঠনৰ কাম চলাই যোৱা কুটীৰ শিল্পক (খদ্দৰ) গঢ়ি তোলা ইত্যাদি। ইয়াৰ ফলত যেতিয়াক জন-সাধাৰণৰ লগত তাৰ সংযোগ সহজতে বজাই আছিল।

সাম্প্ৰদায়িক সমস্যা সম্বন্ধে তোমাক বহুত কথাই ক'লো। তাৰ কাৰণ হৈছে ১৯২০ চনৰ পিছৰপৰাই আমাৰ ৰাজনৈতিক জীৱন এই সমস্যাৰ কাৰণে অস্তি

নিপীড়িত হৈছে। তথাপি ইয়াক অতিৰিক্ত ডাঙৰ কৰি চালে নহব। যিখিনি গুৰুত্ব ইয়াৰ বৰ্তমান, তাতকৈ বহুত বেছি গুৰুত্ব বুলি মনত কৰা প্ৰকৃতি আমাৰ আছে। এজন হিন্দু ল'ৰা আৰু এজন মুছলমান ল'ৰাৰ মাজত কাজিয়া হলেই আমি তৎক্ষণাত সেইখন সাম্প্ৰদায়িক কাজিয়া বুলি ধৰি লওঁ, ক'ৰবাত এটি অতি ক্ষুদ্ৰ কাজিয়া হ'লেও আমি সেইটো বৰ ডাঙৰ কাণ্ড বুলি ঢাক-ঢোল কোবাই ফুৰোঁ। এটা কথা আমি পাহৰি গলে নহব, ভাৰতবৰ্ষ এখন অতি বৃহৎ দেশ, ইয়াৰ হাজাৰ হাজাৰ গাৱঁত আৰু চহৰত হিন্দু আৰু মুছলমান পৰস্পৰে মিলি-জুলি বন্ধুভাৱে বসতি কৰিছে, এওঁলোকৰ মাজত ক'তো সাম্প্ৰদায়িক বিৰোধ নাই। সাধাৰণতে এনে ধৰণৰ বিবাদ অলপ কেইখনমান চহৰৰ ভিতৰতেই সীমাবদ্ধ হৈ থাকে, কেতিয়াবা অৱশ্যে ইয়াৰ চৌ গাওঁ অঞ্চললৈকে বিয়পে। এই কথাও মনত ৰাখিব লাগিব যে ভাৰতবৰ্ষৰ এই সাম্প্ৰদায়িক সমস্যাটোৰ মূলতঃ মধ্যবিত্ত শ্ৰেণীৰেই সমস্যা, কংগ্ৰেছত, কাউন্সিলত, বাতৰি-কাকতত আৰু প্ৰায় সকলো কথাতেই আমাৰ ৰাজনীতিৰ ক্ষেত্ৰত মধ্যবিত্ত শ্ৰেণীৰেই প্ৰাধান্য, সেই কাৰণেই ইয়াৰ ওপৰত বহুখিনি অন্যায়ভাৱে গুৰুত্ব আৰোপ কৰা হৈছে। এই দেশৰ খেতিয়ক সকলতো প্ৰায় বাক শক্তি শূন্য; ৰাজনীতিৰ ক্ষেত্ৰত তেওঁলোক সক্ৰিয় হৈ উঠিবলৈ আৰম্ভ কৰিছে মাথোন; এই যোৱা কেইবছৰমানৰ ভিতৰত, গাৱঁৰ কংগ্ৰেছ কমিটি, কোনো কোনো ঠাইৰ কৃষক সভা আদিৰ যোগেদি। কিন্তু এই শিল্পজীৱি শ্ৰমিকসকলেও বুজি পাইছিল যে তেওঁলোকৰ নেতাৰ আবিৰ্ভাৱ হব— এই মধ্যবিত্ত শ্ৰেণীৰ মাজৰ পৰাই, খেতিয়ক সকলৰতো বিশ্বাস আৰু বেছি। এইবাৰ দেখা যাওঁক, এই সময় ছোৱাত জনসাধাৰণ, খেতিয়ক আৰু শিল্পজীৱি বনুৱাসকলৰ অৱস্থা কি আছিল।

যুদ্ধৰ সময়ত ভাৰতৰ শিল্প প্ৰচেষ্টান বাঁ বেগেৰে বাঢ়ি গৈছিল। সন্ধিৰ পিছতো কেইবছৰ মানলৈ ইয়াৰ অগ্ৰগতি অব্যাহত আছিল। বৃটেনৰপৰা প্ৰচুৰ মূলধন ভাৰতবৰ্ষলৈ আহিছিল; নতুন নতুন কাৰখানাৰ আৰু শিল্প চলাবলৈ বহুতো কোম্পানীৰ নাম ৰেজিষ্টাৰী কৰা হৈছিল। শিল্প কাৰখানা মাজত যিবোৰ ডাঙৰ সেইবোৰৰ বিশেষকৈ ডাঙৰ ডাঙৰ কাৰখানাবোৰ চলিছিল বিদেশী মূলধনৰ জোৰত, এতেকে এই দেশত—ডাঙৰ ধৰণৰ শিল্প যি আছিল সেইবোৰ বৃটিছ পুঁজিপতিসকলে আচলতে নিয়ন্ত্ৰণ কৰিছিল। কেইবছৰমান আগতে এবাৰ হিচাব কৰি দেখা গৈছিল, এই দেশত যিমান কোম্পানী আছে, তাৰ মুঠ মূলধনৰ শতকৰা ৮৭ ভাগেই হৈছে বৃটিছ মূলধন, খুব সম্ভব এই হিচাবটো অনুপাতে কম কৰিয়েই ধৰা হৈছে। ইয়াৰ ফলত ভাৰতবৰ্ষৰ ওপৰত বৃটেনৰ যি প্ৰকৃত অৰ্থনৈতিক প্ৰভুত্ব আছিল সেইটোও আৰু বাঢ়ি গ'ল। ডাঙৰ ডাঙৰ চহৰ গঢ়ি উঠিল দেশত, তাৰ বাবে ভাঙোন ধৰিলে সৰু সৰু চহৰবোৰত, গাওঁবোৰত নহয়। বিশেষকৈ সমৃদ্ধি দেখা গ'ল বস্ত্ৰশিল্প আৰু খনিশিল্পৰ।

শিল্প প্ৰচেষ্টা বঢ়াৰ লগে লগে বহুতো নতুন সমস্যাৰো উদ্ভৱ হৈছিল; সেইবোৰ সমাধান কৰিবৰ কাৰণে চৰকাৰে বহু কমিটি আৰু কমিচন বহুৱালে। এওঁলোকে কলে, বিদেশৰপৰা মূলধন আমদানি আৰু বেছি হোৱা দৰকাৰ, সাধাৰণতে এওঁ-

লোকে ভাৰতবৰ্ষত বৃটিছ পুঁজিপতিসকলৰ যিবোৰ কাৰবাৰ আছিল, সেইবোৰৰ পক্ষে টানি কথা কৈছিল। ভাৰতীয় শিল্পবোৰক ৰক্ষা কৰিবলৈ বুলি এখন টেৰিফ বোৰ্ড গঠন কৰা হ'ল, কিন্তু বহুক্ষেত্ৰত এওঁলোকৰ এই ৰক্ষাৰ অৰ্থ হ'ল, ভাৰতবৰ্ষৰ বজাৰত বৃটিছ পুঁজিপতিসকলৰ স্বাৰ্থৰক্ষা। এই সংৰক্ষিত পণ্যসমূহৰ ওপৰত শুল্ক আদায় কৰা হৈছিল, এতেকে বজাৰত এইবোৰৰ দাম স্বভাৱতেই বাঢ়ি গ'ল। এতেকে সেই ৰক্ষাৰ ব্যৱস্থাৰ বোজা গৈ পৰিল জনসাধাৰণৰ ওপৰত, অৰ্থাৎ সেইবোৰৰ পণ্য কিনোতাসকলৰ মূৰত আৰু কাৰখানাৰ মালিকসকলে ফাকতে এখন বেছ নিৰাপদ বজাৰ হাতত পালে, তাত তেওঁলোকৰ যিসকল প্ৰতিদ্বন্দ্বী আছিল তেওঁলোকক আঁতৰাই পেলোৱা হৈছে বা শক্তি কমাই দিয়া হৈছে।

কল-কাৰখানা বঢ়াৰ লগে লগে স্বভাৱতে মাহিলী বেতন লোৱা মজদুৰৰ সংখ্যাও বাঢ়ি গ'ল। ১৯২২ চনত চৰকাৰী হিচাবে ভাৰতবৰ্ষৰ এই শ্ৰেণী লোকৰ সংখ্যা দেখা গৈছিল দুই কোটিৰ সমান, গাওঁ অঞ্চলত মাটিহীন নিবনুৱা যিসকল আছিল আছিল তেওঁলোক চহৰলৈ আহি এই শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ পৰিল। সকলোতে তেওঁলোকে যি শোষণ আৰু পীড়ণ সহ্য কৰি চলিবলগীয়া হৈছিল, সি বাস্তৱিকতে বৰ লাজৰ কথা। এক শ বছৰ আগতে, কাৰখানা পদ্ধতিৰ একেবাৰে প্ৰথম যুগত, ইংলেণ্ডত এওঁলোকে যি অৱস্থাত কটাবলগীয়া হৈছিল, ঠিক সেই অৱস্থাই এইবাৰ ভাৰতবৰ্ষতো দেখা দিলে বহুত দিন ধৰি একে লেঠাৰিয়ে খাটনি, অতি অতি সামান্য বেতন, স্বাস্থ্য আৰু সম্ভ্ৰমবোধ নাইকিয়া হোৱা এনে ব্যৱস্থা। কাৰখানাৰ মালিকসকলৰ জীৱনত এটি মাত্ৰ লক্ষ্য আছিল, ব্যৱসায় বাণিজ্যৰ এই সুচল বজাৰখন থাকোতেই যিমান সম্ভৱ লাভ কৰি লোৱা। কেইবছৰমান ধৰি তেওঁলোকে খুব বেছি ৰকমেই লাভ কৰিব ধৰিলে। অংশীদাৰসকলক অতি শকত ধৰণৰ লাভাংশ দিব ধৰিলে। ইফালে মজদুৰৰ অৱস্থা যেনে শোচনীয় আছিল তেনেই থাকি গ'ল। এই বিৰাট পৰিমাণৰ লাভ য'ৰপৰা হ'ল সেই পণ্য সেই বনুৱাসকলেই সৃষ্টি কৰিছে; তথাপি সেই লাভৰ অলপো নুজুটিল; অথচ ইয়াৰ পিছত যেতিয়া এই সুচল বজাৰখন শেষ হৈ গৈ বেয়াত পৰিল, তেতিয়া মালিকসকলে দ্বিধাহীনভাৱে বনুৱাসকলক ক'লে—ব্যৱসায়ৰ দুৰ্দিনৰ ভাগ তেওঁলোকেও কিছু পৰিমাণে বহন কৰিব লাগিব, বেতনৰ হাৰ কিছু পৰিমাণে কমাই লব লাগিব।

শ্ৰমিকসকলৰ সংগঠন মানে ট্ৰেড ইউনিয়ন বাঢ়ি উঠাৰ লগে লগেই শ্ৰমিকসকলৰ অৱস্থাৰ উন্নতিৰ কাৰণে আন্দোলন বাঢ়ি উঠিল—খাটনিৰ সময় কমাই দিয়া হওক, মজুৰিৰ হাৰ বঢ়োৱা হওক, ইত্যাদি বুলি দাবী জনোৱা হ'ল। ইফালে পৃথিৱী জুৰিও তেতিয়া দাবী উঠিছে, শ্ৰমিকসকলৰ প্ৰতি সুবিচাৰ কৰিব লাগিব। এই দুয়োৰে হেঁচাত পৰি, ভাৰত চৰকাৰে কেইটামান আইন প্ৰণয়ন কৰিলে—তাৰ ফলত কাৰখানাৰ মজদুৰসকলৰ অৱস্থাৰ কিছু উন্নতি হ'ল। তেতিয়া যি কাৰখানা আইন প্ৰণয়ন হৈছিল, তাৰ কথা মই ইয়াৰ আগৰ আৰু এখন চিঠিত তোমাক কৈছিলো। এই আইনত কৈ দিয়া হ'ল শিশুৰ বাবৰ পৰাপোন্ধৰ বছৰৰ ভিতৰত তেওঁলোকক দিনে ছঘণ্টাৰ বেছি খটুৱাব নোৱাৰিব। তিৰোতা আৰু শিশুসকলক

খাটি কামত লগাব নোৱাৰিব। বয়সস্থ পুৰুষ আৰু মহিলাৰ কাৰণে কামৰ দীৰ্ঘতম সময় বান্ধি দিয়া হ'ল—এঘাৰ ঘণ্টা আৰু সপ্তাহত (কামৰ সপ্তাহ মানে ছয় দিন) ষাঠি ঘণ্টাৰ অধিক নহয় বুলি। এই কেন্দ্ৰীয় আইনখন এতিয়াও চলি আছে; অৱশ্যে পিছত ইয়াৰ কিছুমান সাল-সলনি কৰা হৈছে।

খনিত বিশেষকৈ কৰি কয়লাৰ খনিত মাটিৰ তলত নামি কাম কৰে যি হতভগীয়া-সকলে—তেওঁলোক কিছু পৰিমাণে বাচি থকাৰ কাৰণে ১৯২৩ চনত এখন ভাৰতীয় খনি আইন প্ৰণয়ন কৰা হ'ল। যি শিশুসকলৰ বয়স ১৩ বছৰৰ কম, সেইবিলাকৰ পক্ষে মাটিৰ তলত নামি কাম কৰা নিষিদ্ধ হ'ল। মহিলাসকলে কিন্তু তেতিয়া মাটিৰ তলত কাম কৰিব পাৰিলে, প্ৰকৃততে মুঠ যিমান মজদুৰ খনিত খাটিছিল, তাৰ আধাই আছিল মহিলা। বয়সীয়ালসকলৰ কাৰণে ছয় দিনৰ সপ্তাহত কামৰ দীৰ্ঘতম সময় বান্ধি দিয়া হ'ল—মাটিৰ ওপৰত কাম কৰিলে ষাঠি ঘণ্টা আৰু তলত কাম কৰিলে চৌৱন্ন ঘণ্টা। এদিনৰ দীৰ্ঘতম সময় আছিল বোধহয় বাৰঘণ্টা। খটনিৰ সময়ৰ এই সকলো আকৌ তোমাক শুনাইছোঁ, ইয়াৰপৰাই হয়তো তুমি কিছু পৰিমাণে ধাৰণা কৰিব পাৰিবা, কি অৱস্থাত তেওঁলোকে খাটিবলগীয়া হৈছিল। তথাপি ইয়াৰপৰা তোমাৰ যি ধাৰণা হব সেইটো সম্পূৰ্ণ নহয়, সকলো কথা সম্বন্ধে এটি সত্য ধাৰণা পাবলৈ হ'লে, ইয়াৰ বাহিৰেও আৰু বহুত কথা জানিব লাগে, যেনে বেতনৰ পৰিমাণ, বাসস্থলৰ অৱস্থা ইত্যাদি। ইয়াত এইবোৰ কথাৰ আলোচনা কৰা সম্ভৱ নহয়। কিন্তু ইয়াৰপৰাই তুমি খুলমুল অলপ কথা বুজি লব পাৰিবা। এই শ্ৰমিক ল'ৰা-ছোৱালী, পুৰুষ আৰু নাৰীসকলে কি ভয়নাক অৱস্থাৰ মাজত দিন কটাইছিল,—দিনে এঘাৰ ঘণ্টা তেওঁলোকে কাৰখানাত খাটি যি সামান্য বেতন পায় তাৰে কোনোমতে খাই বাচি চলি থাকে। তদুপৰি কাৰখানাত যি একে ধৰণৰ আমনি লগা কাম তেওঁলোকে সকলো সময়তে কৰিবলগীয়া হয় তাৰ ফলত তেওঁলোকৰ মনো বৰ অৱশ হৈ পৰে, সেই কথাৰ মাজত কতো অলপো আনন্দ তেওঁলোকে নাপায়, তাৰ পিছত জাগৰত মৰো মৰো হৈ ঘৰলৈ উভতি যেতিয়া যায়—তাতো সাধাৰণতে এটা পৰিয়ালৰ সকলে বেই এটি মাথোন সৰু কোঠালীৰ ভিতৰত ঠেলা-হেঁচাকৈ থাকিব লাগে, তাত নাই হাত ভৰি মেলি থকাৰ ঠাই; নাই স্বাস্থ্য ৰক্ষাৰ কোনো ৰকম ব্যৱস্থা।

আৰু কিছুমান আইন চৰকাৰে প্ৰণয়ন কৰিলে, তাত শ্ৰমিকসকলৰ বহুতো উপকাৰ হ'ল। ১৯২৩ চনৰ এখন 'শ্ৰমিক ক্ষতি পূৰণ আইন' প্ৰণয়ন হ'ল, তাত কোৱা হ'ল কাৰখানাত যদি কোনো দৈব দুৰ্ঘটনা আদি ঘটে, তেন্তে সেই ক্ষতিগ্ৰস্ত মজদুৰক ক্ষতিপূৰণ দিব লাগিব। ১৯২৬ চনত এখন 'ট্ৰেড ইউনিয়ন এক্ট' তৈয়াৰ হ'ল, তাত ট্ৰেড ইউনিয়ন গঢ়া আৰু স্বীকাৰ কৰি লোৱাৰ ব্যৱস্থা কৰা হ'ল এই সময় ছোৱাত ভাৰতবৰ্ষত ট্ৰেড ইউনিয়ন আন্দোলন বেছ জোৰেৰে চলিছিল। বিশেষকৈ বোম্বাইত। এখন নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ স্থাপিত হ'ল; কিন্তু কেইবছৰমান পিচতেই সেইখন আকৌ ভাঙি দুইভাগ হ'ল। যুদ্ধ আৰু ৰুচ বিপ্লৱৰ পিচৰপৰাই পৃথিবীৰ সকলোতে শ্ৰমিকসকলক দুই হাত ধৰি দুই কালে টানিছে। একালে আছে পুৰণি কামৰ লোক আৰু

নৰমপন্থী ট্ৰেড ইউনিয়নবোৰ, এওঁলোক দ্বিতীয় আন্তৰ্জাতিকৰ লগত সংশ্লিষ্ট (দ্বিতীয় আন্তৰ্জাতিকৰ কথা মই তোমাক আগেয়ে কৈছোঁ) আৰু আন ফালে আছে চোভিয়েট ৰুচিয়া আৰু তৃতীয় আন্তৰ্জাতিক, ইয়াৰ বয়স কম আকৰ্ষণবো জোৰ বৰ বেছি। সকলোতে দেখা গৈছে, কাৰখানাৰ শ্ৰমিকসকলৰ ভিতৰত নৰমপন্থী আৰু সাধাৰণতে যিসকলৰ অৱস্থা অলপ ভাল, তেওঁলোক গৈছে দ্বিতীয় আন্তৰ্জাতিকৰ ফালে। কাৰণ সেইফালেদি বিপদ কম আৰু যিসকল অলপ বেছিকৈ বিপ্লৱকামী তেওঁলোক লগ হৈছে তৃতীয় আন্তৰ্জাতিকৰ ফালে। ভাৰতবৰ্ষতো এই টনাটনি হ'ল, তাৰ পিছত ১৯২৯ চনৰ শেষৰফালে শ্ৰমিকসকলৰ মাজতে ভগাভগি হ'ল। তাৰ পিছৰপৰাই ভাৰতত শ্ৰমিক আন্দোলন দুৰ্বল হৈ পৰিছে।

খেতিয়কসকলৰ কথা মই আগৰ চিঠিবোৰত তোমাক যি কৈছোঁ, তাৰ উপৰি ইয়াত আৰু একো বেছি কোৱা নহব। এওঁলোকৰ অৱস্থা দিনে আৰু বেয়া হৈ আহিছে, ক্ৰমে এওঁলোকে আৰু ভাল কৰি মহাজনৰ ওচৰত ঋণৰ জালত মেৰ খাই পৰিছে। সৰু সৰু জমিদাৰ, মালিক, খেতিয়ক আৰু ৰায়ত, 'বনিয়া' বাহ 'সাহুকৰ' মহাজনৰ কবলৰপৰা কোনেও পৰিত্ৰাণ পোৱা নাই। এবাৰ দেনা হলে আৰু তেওঁলোকে সেই দেনা পৰিশোধ কৰিব নোৱাৰে—তাৰ পিছত লাহে লাহে তেওঁলোকৰ মাটিখিনিয়েই যায়গৈ মহাজনৰ হাতলৈ, প্ৰজাসকল তেতিয়া দুয়ো ফালৰপৰাই তেওঁৰ দানত পৰিণত হয়—এফালে তেওঁ মাটিৰ মালিক আৰু আনফালে তেওঁ সাহুকৰ হিচাবে। এই বনিয়া মাটিৰ মালিকসকল সাধাৰণতে চহৰতে বাস কৰে এওঁলোকৰ প্ৰজাসকলৰ লগত এওঁলোকৰ কোনো ঘনিষ্ঠ সম্পৰ্ক নাথাকে। এওঁলোকে সকলো সময়তে চেষ্টা ৰাখে কি কৰি সেই বুভুক্ষা-প্ৰপীড়িত খেতিয়কসকলক চেপি যিমানখিনি সম্ভৱ টকা-কড়ি আদায় কৰি লব পাৰে। পুৰণি কালৰ জমিদাৰসকলে তেওঁলোকৰ প্ৰজাসকলৰ মাজতেই বাস কৰিছিল, সময়ত কেতিয়াবা হয়তো অলপ অচৰপ দয়া-দক্ষিণাও দেখুৱাইছিল বা দিছিল। এই মহাজন জমিদাৰসকলে চহৰত বাস কৰে, কৰ্মচাৰী পঠাই টকা আদায় কৰি আনে—দয়া-মায়া—এইবোৰ দুৰ্বলতাৰ প্ৰশ্ৰয় তেওঁলোকে নিদিয়ে।

কৃষিজীৱি শ্ৰেণীবোৰৰ মুঠ ঋণৰ পৰিমাণ কিমান, চৰকাৰৰ দ্বাৰা নিযুক্ত বিভিন্ন কমিটিয়ে সেই বিষয়ে বেলেগ বেলেগ চৰকাৰী হিচাব দিছে। ১৯৩০ চনত হিচাব কৰি দেখা গৈছিল, (ব্ৰহ্মদেশ বাদে) ভাৰতৰ সকলোতে এই শ্ৰেণীৰ সকলো ঋণৰ মুঠ পৰিমাণ হৈছে ৮০৩ কোটি টকা। মাটিৰ গৰাকী আৰু খেতিয়ক দুয়ো দলৰে ঋণ ইয়াৰ ভিতৰত ধৰা হৈছে। অৰ্থনৈতিক দুৰ্গতিৰ ভিতৰত বছৰবোৰত আৰু পিছত এই ঋণৰ অঙ্ক আৰু বহুখিনি বাঢ়ি গ'ল।

এনেকৈ আমাৰ কৃষিজীৱি শ্ৰেণীবোৰ দিনে দিনে আৰু গভীৰ পোটনিত পোট যাব ধৰিছে। সৰু সৰু জমিদাৰ আৰু প্ৰজা দুয়োৰেই ইয়াত সমান দুৰ্দশা। ইয়াৰপৰা তেওঁলোকৰ উদ্ধাৰ পোৱাৰো কোনো পথ নাই; একমাত্ৰ বৰ্তমানৰ এই মাটিৰ ব্যৱস্থাবোৰে ই মূল উচ্ছেদ কৰি দিব; এনে এটি ডাঙৰ পৰিবৰ্তন নহটালৈকে।

দেশত এনেভাৱে কৰ বহুৱা হৈছে, যেন তাৰ বেছিভাগ বোজা গৈ পৰে দৰিদ্ৰতকৈও দৰিদ্ৰ শ্ৰেণীটোৰ ওপৰত; যি বোজা বৰৰ শক্তি তেওঁলোকৰেই সকলোতকৈ কম। এই ৰাজহৰ অধিকাংশ ব্যয় কৰা হৈছে, সৈনাবাহিনী, চিভিল-চাৰ্ভিচ আৰু বৃটিছ-সকলৰ দাবীৰ কাৰণে দেশৰ জনসাধাৰণৰ তাত তিলমানো উপকাৰ নাই।

শিক্ষাৰ কাৰণে ব্যয় কৰা হৈছে জনমূৰি ন পেনীৰ সমান। বৃটেনত ব্যয় কৰা হয় দুই পাউণ্ড পোন্ধৰ চিলিং। তাৰ মানে ভাৰতবৰ্ষত শিক্ষাৰ কাৰণে জনমূৰি যি ব্যয় কৰা হৈছে, বৃটেনত ব্যয় হয় তাৰ ৭৩ গুণ।

এই দেশৰ লোকৰ জনমূৰি বাৰ্ষিক আয় কিমান? তাৰ পৰিমাণ হিচাব কৰিবলৈ বহুতে বহুতবাৰ চেষ্টা কৰিছে। কঠিন কাম, বেলেগ বেলেগ লোকে কৰা হিচাবৰ মাজতো বহুতখিনি তফাৎ হব। ১৮৭০ চনত দাদাভাই নৌৰজীয়ে ইয়াৰ পৰিমাণ স্থিৰ কৰিছিল জনমূৰি ২০ টকা বুলি। সম্প্ৰতি যিবোৰ হিচাব কৰা হৈছে তাত অঙ্কটো বাঢ়ি ৬৭ টকা হৈছে। দুই এজন ইংৰাজে ইয়াক যি অঙ্ক কৰি বাহিৰ কৰিছে, তাত আয়ৰ পৰিমাণটো বহুত বেছি, কিন্তু সেই অঙ্কও কোনো ক্ষেত্ৰতে ১১৬্ টকাৰ ওপৰত উঠা নাই। আন আন দেশৰ লগত অঙ্কটো তুলনা কৰি চাবলগীয়া। আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ এই জনমূৰি আয়ৰ অঙ্ক হৈছে ১,৯২৫ টকা, হিচাব কৰাৰ পিছৰপৰা আজিলৈকে ইয়াৰ পৰিমাণ আৰু বহুতো বাঢ়ি গৈছে। বৃটেনৰ অঙ্ক হৈছে জনমূৰি ১০০০ টকা।

১৬২

ভাৰতত অহিংস বিদ্ৰোহ

১৭ মে, ১৯৩৩

ভাৰতবৰ্ষ আৰু ইয়াৰ অতীত কাহিনী লৈ মই বহুতো চিঠি তোমালৈ লেখিছোঁ।-আন কোনো দেশৰ সম্বন্ধেই ইমান কথা লেখা নাই। কিন্তু সেই অতীত লাহে লাহে আগুৱাই আহি বৰ্ত্তমানৰ লগত মিহলি হৈছে, আজি এই চিঠিখন আৰম্ভ কৰিছোঁ। ইয়াতেই বোধহয় আমাৰ গল্প একেবাৰে আজিৰ দিনলৈকে আহিব। সম্প্ৰতি যিবোৰ ঘটনা ঘটি গৈছে তাৰ মাজৰ কেইটামান কথা মই আজি কম—এতিয়াও সেইবোৰৰ স্মৃতি আমাৰ মনত স্পষ্ট হৈ আছে। সেইবোৰৰ সম্বন্ধে লেখিবৰ দিন অৱশ্যে আজিও অহা নাই। সেই কাহিনী আজিও কেৱল আধা কোৱা হৈয়ে আছে। কিন্তু ইতিহাসৰ গোটেই কাহিনীয়েই বৰ্ত্তমানলৈ আহি অকস্মাৎ বৈ শেষ হৈ যায়। তাৰ বাকী অধ্যায়বোৰ ভৱিষ্যতৰ বুকুত লুকাই থাকে আৰু এই গল্পৰ কোনো দিন শেষও নহয়—দিনৰ পিচত দিন ধৰি ই কেৱল বাঢ়িয়েই যায়।

১৯২৭ চনৰ শেষৰ ফালে বৃটিছ চৰকাৰে ঘোষণা কৰিলে, তেওঁলোকে ভাৰতলৈ এটি কমিচন পঠাব—এওঁলোকে ভৱিষ্যতলৈ এই দেশত কি শাসন সংস্কাৰ হব পাৰে, শাসন ব্যৱস্থাৰ ক'ত কি পৰিৱৰ্ত্তন কৰা দৰ্কাৰ ইত্যাদি কথা লৈ তত্ত্ব অনুসন্ধান কৰিব। ভাৰতবৰ্ষৰ প্ৰত্যেকটি ৰাজনৈতিক দলেই এই ঘোষণা শুনি ক্ষুব্ধ হৈ উঠিল—ইয়াৰ প্ৰতিবাদ কৰিলে। কংগ্ৰেছে ঘোৰ আপত্তি কৰিলে, কিছুদিন অন্তৰে অন্তৰে ভাৰতবৰ্ষক পৰীক্ষা কৰি চোৱা হব ই স্বায়ত্ব শাসনৰ যোগ্য হৈ উঠিছেনে নাই—এই কথাটো তেওঁলোকৰ বৰ অপছন্দ। এই দেশত যতদুৰ সম্ভৱ চলি থাকিবৰ ইচ্ছা বৃটিছৰ আছে, সেই ইচ্ছাক তেওঁলোকে এই কথাৰ আৱৰণেৰে ঢাকি ৰাখিছিল। কংগ্ৰেছে বহুদিনৰ পৰাই কৈ আহিছে এই দেশক নিজৰ ভাগ্য নিজে নিয়ন্ত্ৰন কৰিবলৈ দিব লাগিব, গোটেই জাতিৰ এই অধিকাৰ প্ৰতিষ্ঠাৰ কথা লৈয়ে বিশ্বযুদ্ধৰ সময়ত মিত্ৰপক্ষই ইমান হৈ চৈ কৰিলে। ভাৰতবৰ্ষক আদেশ দি চলাবলৈ বা ইয়াৰ ভৱিষ্যত ভাগ্য কি হব শেষ ৰায় দিয়াৰ অধিকাৰ বৃটিছ পাৰ্লিয়ামেণ্টৰ হাতত থাকিব, এই কথা স্বীকাৰ কৰি লবলৈ কংগ্ৰেছ ৰাজি নহৈছিল। এইবোৰ কাৰণ দেখিয়েই কংগ্ৰেছে এই নতুন পাৰ্লিয়ামেণ্টৰী কমিচন সম্বন্ধে আপত্তি কৰিলে। ভাৰতৰ নৰমপন্থী দলে কমিচন সম্বন্ধে আপত্তি কৰিলে অন্য কাৰণত, তেওঁলোকৰ সাধাৰণ যুক্তি আছিল—ইয়াৰ ভিতৰত

কোনো ভাৰতীয়ক লোৱা হোৱা নাই—এইটো সম্পূৰ্ণই এটা চাহাবসকলৰ কমিচন। আপত্তি-যুক্তি সকলোৰে একে নহয়—তথাপি কাৰ্যত কথাটো একেই থাকিল। ভাৰতবৰ্ষৰ প্ৰায় প্ৰত্যেকটি দলেই একেস্বৰে এই কমিচনৰ বিৰুদ্ধে মত প্ৰকাশ কৰিলে, ইয়াক বৰ্জন কৰাৰ সঙ্কল্প ঘোষণা কৰিলে—একেবাৰে সকলোতকৈ নৰমপন্থী যি সকল, তেওঁলোকো বাদ নপৰিল।

প্ৰায় এই সময়তে ১৯২৭ চনৰ ডিচেম্বৰ মাহত মাদ্ৰাজত কংগ্ৰেছৰ বাৰ্ষিক অধিবেশন বহিল। তাত কংগ্ৰেছে সিদ্ধান্ত ঘোষণা কৰিলে—কংগ্ৰেছৰ লক্ষ্য হৈছে ভাৰতৰ জাতীয় স্বাধীনতা। সেয়ে প্ৰথম কংগ্ৰেছে স্বাধীনতাৰ সঙ্কল্প ঘোষণা কৰিলে। অতিশয় স্পষ্ট আৰু দৃঢ় ভাষাতেই সেই বক্তব্য প্ৰকাশ কৰা হ'ল। স্বাধীনতাকেই জাতীয় কংগ্ৰেছৰ লক্ষ্য বুলি সিদ্ধান্ত কৰা হ'ল—ইয়াবো দুবছৰ পিছত লাহোৰ অধিবেশনত। মাদ্ৰাজ কংগ্ৰেছৰ পৰা সৃষ্টি হ'ল এটি সৰ্বদলীয় সম্মিলনৰ; সেইটো কেইদিনমানৰ কাৰণেহে তিষ্ঠি থাকিল, কিন্তু তাৰ ভিতৰতে বহুতোখিনি কাম দেখুৱাই গৈছে।

ইয়াৰ পিছৰ বছৰ ১৯২৮ চনত, সেই বৃটিছ কমিচন ভাৰতবৰ্ষলৈ আহিল। দেশৰ জনসাধাৰণে সকলোতে তাক বৰ্জন কৰিলে। য'লৈকে তেওঁলোক গ'ল তাতেই তেওঁলোকৰ বিপক্ষে বিক্ষোভ প্ৰকাশ কৰি ডাঙৰ ডাঙৰ শোভাযাত্ৰা হ'ল। কমিচনৰ সভাপতিৰ নাম অনুসৰি এই কমিচনটিক কোৱা হৈছিল চাইমন কমিচন, 'চাইমন উলতি যোৱা' এই ধ্বনি ভাৰতৰ সকলোতে মানুহৰ মুখে মুখে হব ধৰিলে। বহু ঠাইত কেইবাবাৰো পুলিচে এই শোভাযাত্ৰাকাৰীসকলৰ ওপৰত লাঠি চলালে। লাহোৰত লালা লাজপত ৰায়কো পুলিচে মাৰিলে। ইয়াৰ কেইমাহমান পাচতে লালাজীৰ মৃত্যু হ'ল, ডাক্তৰসকলে ক'লে—পুলিচৰ সেই আঘাতৰ ফলতেই তেওঁৰ মৃত্যু ইমান সোনকালে হ'ল; এইটো একোতেই অসম্ভৱ নহয়। এইবোৰ ঘটনাৰ কাৰণে দেশৰ জনতা স্বভাৱতেই অতিশয় উত্তেজিত আৰু ক্ৰোধান্বিত হৈ উঠিল।

ইফালে তেতিয়া সৰ্বদলীয় সম্মিলনে শাসনতন্ত্ৰৰ এটি নকল খিয় কৰিব আৰু সাম্প্ৰদায়িক সমস্যাৰ এটি সমাধান বাহিৰ কৰিবলৈ চেষ্টা চলোৱা হৈছে। সৰ্বদলীয় সম্মিলনে এখন ৰিপৰ্ট দাখিল কৰিলে, তাত তেওঁলোকে শাসনতন্ত্ৰ আৰু সাম্প্ৰদায়িক সমস্যা সম্বন্ধে তেওঁলোকৰ মতামত আৰু প্ৰস্তাব লিখিলে। এই ৰিপৰ্টৰ নাম 'নেহৰু ৰিপৰ্ট', কাৰণ যি কমিটিয়ে এইখন ৰচনা কৰিছিল, পণ্ডিত মতিলাল নেহৰু আছিল তাৰ সভাপতি।

এই বছৰতেই আৰু এটি ডাঙৰ ঘটনা হ'ল, গুজৰাটৰ বৰদলীত খেতিয়কসকলৰ এটি প্ৰকাণ্ড অভিযান। চৰকাৰে তেওঁলোকৰ ৰাজহ বঢ়াই দিছে। তাৰ বিৰুদ্ধে এওঁলোকে অভিযান কৰিলে। গুজৰাটত যুক্তপ্ৰদেশৰ দৰে ডাঙৰ ডাঙৰ জমিদাৰী নাই, সেইখন হৈছে খেতিয়ক মালিকসকলৰ দেশ। সৰ্দাৰ বল্লভভাই পেটেলৰ নেতৃত্বত এই খেতিয়কসকলে এটি আচৰিত বীৰোচিত যুদ্ধ চলালে, যোছ ডাঙৰ ধৰণৰ এটি জয়লাভ কৰিলে।

১৯২৮ চনৰ ডিচেম্বৰ মাহত কলিকতাত কংগ্ৰেছৰ অধিবেশন হ'ল। কলিকতা কংগ্ৰেছত স্বীকাৰ কৰি লোৱা হ'ল নেহৰু ৰিপৰ্টত বৰ্ণনা কৰা শাসনতন্ত্ৰখন, বৃটিছ সাম্ৰাজ্যৰ ডমিনিয়নসমূহৰ শাসনতন্ত্ৰৰ লগত ইয়াৰ মিল আছিল। কিন্তু সেই শাসনতন্ত্ৰখন স্বীকাৰ কৰি লোৱাৰ লগে লগেই কংগ্ৰেছে ক'লে সাময়িক ব্যৱস্থা হিচাবে মানি লোৱা হৈছে। ইয়াৰ কাৰণে এবছৰ ম্যাদো ঘোষণা কৰা হ'ল। এবছৰৰ ভিতৰত যদি বৃটিছ চৰকাৰৰ লগত কোনো বুজা পৰা নহয়, ইয়াৰ ভিতৰতে যদি শাসনতন্ত্ৰক মানি লবলৈ বৃটিছ চৰকাৰ ৰাজি নহয় তেন্তে কংগ্ৰেছে আকৌ তাৰ পূৰ্ণ স্বাধীনতাৰ সঙ্কল্প গ্ৰহণ কৰিব। এনেকৈ কংগ্ৰেছ আৰু গোটেই দেশ এটা এৰাব নোৱাৰা সঙ্কট মুহূৰ্তৰ ফালে আগুৱাই গ'ল।

শ্ৰমিকসকল বৰ অসহিষ্ণু হৈ উঠিল, মালিকসকলে মাহিলী বেতন কমাবলৈ চেষ্টা কৰাৰ ফলত ডাঙৰ ডাঙৰ কেইটামান শিল্পকেন্দ্ৰত বনুৱাসকলে কাজিয়া লগোৱাৰ উপক্ৰম কৰিছিল। বোম্বাইত এওঁলোকৰ সংগঠন বিশেষকৈ ভাল আছিল, তাত ডাঙৰ ডাঙৰ কেইটামান ধৰ্মঘট হ'ল, একলাখ বা তাৰো বেছি বনুৱাই ধৰ্মঘটত যোগ দিলে। বনুৱাসকলৰ মাজত সমাজতন্ত্ৰবাদ আৰু অলপ অচৰপ কমিউনিজিমৰ মতামত আহি সোমাল। বনুৱাসকলৰ মতি-গতি বিপ্লৱমুখী হৈ উঠিছে। আৰু তেওঁলোকৰ শক্তি দিনে দিনে বাঢ়ি যোৱা দেখি চৰকাৰৰ ভয় হ'ল। ১৯২৯ চনৰ প্ৰথম ভাগত তেওঁলোকে হঠাৎ বত্ৰিশজন বনুৱা নেতাক গ্ৰেপ্তাৰ কৰিলে, তেওঁলোকৰ নামত এটি ষড়যন্ত্ৰৰ মকৰ্দমা আৰম্ভ কৰি দিলে। পৃথিৱীৰ সকলোতে এই মকৰ্দমাটো মীৰাট মকৰ্দমা বুলি প্ৰসিদ্ধ হৈছে। প্ৰায় চাৰি বছৰ মকৰ্দমা চলাৰ পাছত ইয়াৰ শেষ হৈছে। অভিযুক্তসকলৰ প্ৰায় সকলোৱেই অতি দীঘলীয়া কাৰাদণ্ডত দণ্ডিত হৈছে। ইয়াৰ ভিতৰত সকলোতকৈ আচৰিত ঘটনা এয়ে এওঁলোকৰ কাৰো বিপক্ষে আচলতে কোনো বিদ্ৰোহমূলক কাম আনকি সামান্য শান্তিভঙ্গৰো অভিযোগ নাছিল। এওঁলোকে কমিউনিজিমৰ মতবাদ বিশ্বাস কৰিছিল, সেই মতবাদ প্ৰচাৰ কৰিবলৈ চেষ্টা কৰিছিল, এইটোৱেই বোধহয় এওঁলোকৰ একমাত্ৰ অপৰাধ। আপীলত তেওঁলোকৰ দণ্ড বহুতো কমে।

আৰু এক ধৰণৰ কাৰ্যকলাপ তলে তলে তুঁহ জুইৰ দৰে জ্বলিছিল, মাজে মাজে বাহিৰতো তাৰ শিখাই আত্মপ্ৰকাশ কৰিছিল। এইটো হৈছে হিংসাবাদীসকলৰ কথা। এওঁলোকৰ বিশ্বাস আছিল হিংসাৰ পথেদি বিপ্লৱ আনিব পাৰিব। ইয়াৰ প্ৰধান কেন্দ্ৰ আছিল বঙ্গদেশ, কিছু পৰিমাণে পঞ্জাৱত আৰু অতি সামান্য ধৰণে যুক্তপ্ৰদেশতো ইয়াৰ অস্তিত্ব আছিল। বৃটিছ চৰকাৰে নানাবিধ উপায়েৰে ইয়াক দমন কৰিবলৈ চেষ্টা কৰিলে, অসংখ্য ষড়যন্ত্ৰৰ মকৰ্দমা কৰা হ'ল। চৰকাৰে এখন বিশেষ আইন জাৰি কৰিলে, তাৰ নাম 'বেঙ্গল অৰ্ডিনেন্স'—এই আইনৰ বলত যাকে তেওঁলোকে দয়া কৰি সন্দেহ কৰে, তেওঁকেই গ্ৰেপ্তাৰ কৰিব আৰু বিনা বিচাৰে জেলত আটক কৰি ৰাখিব পাৰিব। এই অৰ্ডিনেন্স অনুসৰি শত শত বঙালী যুৱকক গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থোৱা হ'ল। এওঁলোকক ৰাজবন্দী বা ডেটিনিউ কোৱা হৈছিল, কিমান দিন এওঁলোক জেলত থাকিবলগীয়া হব তাৰো কোনো নিৰ্দিষ্ট সীমা নাছিল। লক্ষ্য কৰিবলগীয়া বিষয়

হৈছে, এই অপূৰ্ব আইনখন যেতিয়া তৈয়াৰ কৰা হৈছিল, তেতিয়া ইংলেণ্ডৰ মন্ত্ৰীত্ব আছিল বনুৱাসকলৰ হাতত—প্ৰকৃততে এই অৰ্ডিনেন্স জাৰি কৰা কৰ্তৃত্ব তেওঁ লোকৰেই।

এই বিপ্লৱবাদীসকলে বহুতো সন্ত্ৰাসমূলক কাণ্ড কৰিলে, বেছিভাগ বঙ্গদেশত। ইয়াৰ ভিতৰত তিনিটা ঘটনাই বিশেষ কৰি মানুহৰ মন আকৰ্ষণ কৰিছিল। প্ৰথম ঘটনা, লাহোৰ পুলিচৰ এজন বৃটিছ কৰ্মচাৰীক গুলী কৰি মৰা হ'ল, চাইমন কমিচন বিৰোধী শোভাযাত্ৰাকাৰীৰ ভিতৰত এই জন লোকেই লালা লাজপত ৰায়ক আঘাট কৰিছিল বুলি মানুহৰ ধাৰণা। দ্বিতীয় ঘটনা, দিল্লীত এচেম্বলীকক্ষত ভগৎসিং আৰু বটুকেশ্বৰ দত্তৰ বোমা নিক্ষেপ। সেই বোমাত ক্ষতি অৱশ্যে প্ৰায় একেবাৰেই নহ'ল। এওঁলোকৰ বোধকৰোঁ অভিপ্ৰায় আছিল কেৱল এটা হৈ চৈ সৃষ্টি কৰা, দেশৰ জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা। তৃতীয় ঘটনাটো ঘটিল চট্টগ্ৰামত ১৯৩০ চনত ঠিক যেতিয়া আইন-অমান্য আন্দোলন আৰম্ভ কৰা হৈছে, সেই সময়তে। তাৰ চৰকাৰী অস্ত্ৰাগাৰটো লুট কৰি লবৰ কাৰণে এটা বৰ ডাঙৰ ৰকমৰ আৰু দুঃসাহসিক চেষ্টা কৰা হ'ল। সেই চেষ্টা অলপ পৰিমাণে সফলো হল। এই আন্দোলনটো ধ্বংস কৰিবৰ কাৰণে যিমানবোৰ উপায় অৱলম্বন কৰা সম্ভৱ চৰকাৰে তাৰ সকলো কৰিলে। চৰকাৰৰ বহুত গুপ্তচৰ আৰু বাতৰি যোগনীয়াৰ আছিল। বহুলোকক গ্ৰেপ্তাৰ কৰা হ'ল, বহুতো ষড়যন্ত্ৰৰ মকৰ্দমা কৰা হ'ল, বহুলোকক ৰাজবন্দী কৰি ৰখা হ'ল (বহু সময়ত, আদালতৰ মকৰ্দমাত যিসকলে খালাচ পালে, তেওঁলোকক লগে লগেই আকৌ গ্ৰেপ্তাৰ কৰি অৰ্ডিনেন্সৰ বলত ৰাজবন্দী কৰি ৰখা হ'ল)। পূৰ্ববঙ্গৰ কিছুমান ঠাই সৈন্যসকলৰ দখলত গ'ল, তাত মানুহে অনুমতি পত্ৰ নহলে চলা-ফুৰা কৰিব নোৱাৰা হল, চাইকেলত উঠিব নোৱাৰে, আনকি নিজৰ ইচ্ছামতে কাপোৰ-কানি পিন্ধি ফুৰা-চকা কৰাৰো অধিকাৰ তেওঁলোকৰ নাছিল। পুলিচক খবৰ দি পলাতক আচামীক ধৰি নিদিয়াৰ অপৰাধত বহুতো চহৰ আৰু গাৱঁৰ একেবাৰে গোটেই অধিবাসীসকলৰ ওপৰতেই বৰ বেছি জৰিমনা ধাৰ্য কৰা হৈছিল।

১৯২৯ চনত লাহোৰত এটি ষড়যন্ত্ৰৰ মকৰ্দমা হয়। জেলত তেওঁলোকৰ প্ৰতি যি ব্যৱহাৰ কৰা হৈছিল তাৰ প্ৰতিবাদত আচামীসকলৰ ভিতৰত এজনে অনশন অৱলম্বন কৰে, এওঁৰ নাম যতীন্দ্ৰনাথ দাস। এই যুৱকজনে একেবাৰে শেষলৈকে অনশন কৰি থাকিল-একষঠী দিনৰ দিনা তেওঁৰ মৃত্যু হ'ল। যতীন্দ্ৰনাথৰ এই আত্মবলিদানত ভাৰতবৰ্ষত বৰ চাঞ্চল্যই দেখা দিলে। আৰু এটি ঘটনাত দেশৰ জনতা আহত আৰু ব্যথিত হৈ পৰিল, সেইটো হৈছে ভগৎ সিংহৰ মৃত্যু-দণ্ড—১৯৩১ চনৰ আগ ভাগতে তেওঁৰ ফাঁচী হয়।

এইবাৰ আকৌ কংগ্ৰেছী ৰাজনীতিৰ বাজালৈ উভতি যাবলগীয়া হৈছে। কলিকতা কংগ্ৰেছত চৰকাৰক মনস্থিৰ কৰিবৰ যি সময় দিয়া হৈছিল, সেইটো তেতিয়া শেষ হওঁ হওঁ। ইয়াত যি গুৰুতৰ পৰিণতিৰ সম্ভাৱনাই দেখা দিছে তাক প্ৰতিৰোধ কৰিবৰ এটা চেষ্টা ১৯২৯ চনৰ শেষৰ ফালে চৰকাৰে কৰিলে। ভৱিষ্যতলৈ শাসন ব্যৱস্থাৰ যে উন্নতি সাধন কৰা তেওঁলোকৰ অভিপ্ৰায় সেই সম্বন্ধে এটা অস্পষ্ট বিবৃতি প্ৰচাৰ কৰিলে। তেতিয়াও কংগ্ৰেছে জনালে তেওঁলোকে ইয়াত

সহযোগিতা কৰিবলৈ ৰাজি আছে কেইটামান চৰ্তত। চৰকাৰে সেই চৰ্তসমূহ পূৰণ নকৰিলে। তেতিয়া আৰু কংগ্ৰেছৰ কোনো গত্যন্তৰ নাথাকিল, ১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰ কংগ্ৰেছত সিদ্ধান্ত স্থিৰ হ'ল—আমি পূৰ্ণ স্বাধীনতা বিচাৰোঁ। আৰু তাক অৰ্জন কৰিবলৈ যুদ্ধ কৰিবলৈ প্ৰস্তুত।

আহিব ধৰা সংগ্ৰামৰ কলাছায়াই আকাশ আৱৰি পেলালে। সেই ছায়া আঁতৰি ১৯৩০ চনত প্ৰভাত হ'ল। আইন-অমান্য আন্দোলনৰ আয়োজন চলিব ধৰিলে। এচেম্বলী আৰু কাউন্সিল আকৌ বৰ্জন কৰা হ'ল, কংগ্ৰেছী যিসকল তাৰ সভ্য আছিল, তেওঁলোকে পদত্যাগ কৰিলে। ২৬ জানুৱাৰী তাৰিখে সকলোতে চহৰে চহৰে, গাৱেঁ, গাৱেঁ অসংখ্য সভা হ'ল। সেইবোৰ সভাত স্বাধীনতা অৰ্জনৰ সঙ্কল্প প্ৰকাশ কৰি এটা বিশেষ শপত গ্ৰহণ কৰা হ'ল। এতিয়াও প্ৰত্যেক বছৰে সেই দিনটোৰ বাৰ্ষিক অনুষ্ঠান পালন কৰা হয়, ইয়াৰ নাম হৈছে, 'স্বাধীনতা দিৱস।' মাৰ্চ মাহত গান্ধীজীৰ বিখ্যাত ডাণ্ডি-যাত্ৰা আৰম্ভ হ'ল। সমুদ্ৰৰ পাৰত ডাণ্ডি, তালৈ গৈ তেওঁ লোণ-আইন ভঙ্গ কৰিলে। লোণ-আইন ভাঙিয়েই তেওঁ তাৰ অভিযান উদ্বোধন কৰিবলৈ স্থিৰ কৰিছিল, কাৰণ এই আইনেৰে দুখীয়া জনসাধাৰণৰ ওপৰত বেছি হেঁচা পৰে; সেইফালৰপৰা এইটো এটা বিশেষ দোষনীয় আছিল।

১৯৩০ চনৰ এপ্ৰিল মাহত দেখা গ'ল আইন-অমান্য আন্দোলন পূৰ্ণ উদ্যমেৰে চলিছে, দেশৰ সকলোতে কেৱল লোণ-আইন নহয় আন আন বহু আইনো ভঙা হৈছে। গোটেই দেশজুৰি এটা অহিংসা বিদ্ৰোহে দেখা দিলে, সেই বিদ্ৰোহ দমন কৰিবৰ কাৰণে চৰকাৰেও অতি ততাতয়াকৈ নতুন নতুন আইন আৰু অৰ্ডিনেন্স প্ৰণয়ন কৰিলে। তেতিয়া আকৌ এই অৰ্ডিনেন্সবোৰক ভাঙিয়েই আইন অমান্য কৰা হ'ল। সত্যাগ্ৰহীসকলৰ সকলো সভ্যকে বা দলৰ প্ৰত্যেককে গ্ৰেপ্তাৰ কৰা হ'ল, তেওঁলোকৰ ওপৰত বৰ্বৰ দৰে লাঠি চলোৱাতো দৈনন্দিন ঘটনাত পৰিণত হ'ল; অহিংস জনতাৰ ওপৰত গুলী চলোৱা হল, কংগ্ৰেছ কমিটিবোৰ বে-আইনী বুলি ঘোষণা কৰা হ'ল, চিঠি-পত্ৰৰ ওপৰত চেন্সৰ বহিল, সত্যাগ্ৰহীসকলৰ ওপৰত মাৰপিট চলিল, জেলখানাৰ কয়দীসকলৰ ওপৰত দুব্যৱহাৰ কৰা হ'ল। ইয়াত একালে আছিল অৰ্ডিনেন্সৰ বলত শাসন, আৰু আনফালে আছিল দৃঢ়সঙ্কল্প আৰু শৃঙ্খলাৰে অৰ্ডিনেন্সক অমান্য কৰি চলা, আৰু তাৰ লগে লগে বিদেশী কাপোৰ আৰু বৃটিছ বস্তু বৰ্জন। এই আন্দোলনত প্ৰায় এক লাখ লোকে কাৰাবৰণ কৰিলে, কিছুদিনলৈকে গোটেই জগতৰ বিস্ময়ৰ দৃষ্টি ভাৰতৰ এই অহিংসা অথচ দৃঢ় প্ৰতিজ্ঞ সংগ্ৰামৰ প্ৰতি আকৃষ্ট হৈ ৰ'ল।

তিনিটা ঘটনাৰ কথা মই তোমাক ইয়াত কম। প্ৰথমটো হৈছে উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত ৰাজনৈতিক চেতনাৰ এটি অপূৰ্ব জাগৰণ। এই আন্দোলন ঠিক আৰম্ভ হবৰ সময়তে ১৯৩০ চনৰ এপ্ৰিল মাহত পেচোৱাৰত এটা প্ৰকাণ্ড হত্যাকাণ্ড হ'ল, অহিংস জনতাৰ ওপৰত গুলী চলাই বহুতো লোকক মাৰি পেলোৱা হ'ল। তাৰ পিছুতো গোটেই বছৰ ধৰি তাৰ জনসাধাৰণৰ ওপৰত একেবাৰে নৃশংস অত্যাচাৰ চলিল, আৰাৰ সীমান্ত অঞ্চলৰ দেশবাসীসকলে বীৰোচিত ধৈৰ্যৰে

সৈতে সেই অত্যাচাৰ সহ্য কৰিলে। এইটো এটা বিশেষ আশ্চৰ্যৰ ঘটনা বুলিব লাগিব; কাৰণ সীমান্ত প্ৰদেশৰ এই অধিবাসীসকল মূঠেই শান্ত প্ৰকৃতিৰ নহয়, সামান্য এটা কথাতে একেবাৰে জুইৰ দৰে জ্বলি উঠে। অথচ তেওঁলোকেই সেই অত্যাচাৰৰ মাজতো শান্ত আৰু সংযত হৈ থাকিল। পাঠানসকলৰ ৰাজনীতিৰ ক্ষেত্ৰত সেয়ে প্ৰথম পদাৰ্পণ, প্ৰথমৰপৰাই তেওঁলোকে সংগ্ৰামৰ একেবাৰে আগশাৰীত আহি থিয় হ'ল। বীৰৰ দৰে যুদ্ধ কৰিব ধৰিলে, এইটো যিমান বিস্ময়কৰ, সিমানেই গৌৰৱৰ কাম।

দ্বিতীয় উল্লেখযোগ্য ঘটনাটি হৈছে, ভাৰতৰ নাৰীসকলৰ অপূৰ্ব জাগৰণ— ডাঙৰ ডাঙৰ ঘটনাৰে পৰিপূৰ্ণ সেই বছৰটিৰ ভিতৰতো এইটো যে আছিল সকলোতকৈ ডাঙৰ ঘটনা তাত অকণো সন্দেহ নাই। লক্ষ্য লক্ষ্য নাৰীয়ে তেওঁলোকৰ ওৰণি দলিয়াই ঘৰৰ এচুকৰপৰা প্ৰকাশ্য ৰাজআলি আৰু বজাৰৰ মাজত আহি থিয় হ'ল। তেওঁলোকৰ সহকৰ্মী ভাইসকলৰ লগত ওচৰা-ওচৰিকৈ থিয় হৈ যুদ্ধ কৰিব ধৰিলে, বহুতো ঠাইত এওঁলোকে এনে শক্তি আৰু সাহসৰ পৰিচয় দিলে যে তাৰ কাষত পুৰুষ কৰ্মীসকল নিষ্প্ৰভ হৈ গ'ল। এইটো এনে এটা ঘটনা যে যিসকলে ইয়াক নিজ চকুৰে দেখা নাই তেওঁলোকে ইয়াৰ কথা নিশ্চয় বিশ্বাস কৰিবই নোৱাৰে।

লক্ষ্য কৰিবলগীয়া তৃতীয় কথাটি হৈছে—আন্দোলনৰ জোৰ বঢ়াৰ লগে লগে এটি অৰ্থনৈতিক যুক্তিও ইয়াৰ লগত আহি পৰিল—অন্ততঃ খেতিয়কসকলৰ কাষৰপৰা। ১৯৩০ চনতেই বিশ্বব্যাপী এটি বিৰাট অনুসঙ্কটৰ প্ৰথম আৰম্ভ হ'ল—কৃষিজাত দ্ৰব্যৰ দাম অতিশয় কমি গ'ল। খেতিয়কসকলৰ ভীষণ ক্ষতি হ'ল ইয়াতে, কাৰণ খেতিৰ ফচল বিক্ৰী কৰিয়েই তেওঁলোকৰ যি অলপ আয় হয়। এতেকে দেখা গ'ল, তেওঁলোকৰ সেই দুৰ্দশাৰ দিনত কৰ বন্ধ কৰা খুব আৱশ্যকীয় বিষয়। স্বৰাজ তেওঁলোকৰ ওচৰত তেতিয়া আৰু এটি দূৰত থকা ৰাজনৈতিক লক্ষ্য মাত্ৰ হৈ নাথাকিল, সেইটো হ'ল এটা অতি আসন্ন ৰাজনৈতিক প্ৰশ্ন— তেওঁলোকৰ ওচৰত ইয়াৰ গুৰুত্ব বৰ বেছি। এওঁলোকৰ পক্ষে সেই কাৰণে আন্দোলনটোৰ এটা নতুন আৰু বেছি ঘনিষ্ঠ অৰ্থ আহি পৰিল। তাৰ মাজত অলপমান শ্ৰেণী সংগ্ৰামৰ আভাসও আহি পৰিল জমিদাৰ আৰু প্ৰজাৰ সংগ্ৰাম। যুক্তপ্ৰদেশত আৰু পশ্চিম ভাৰতত্তে এই কথাটো বিশেষ কৰি দেখা দিলে।

ভাৰতবৰ্ষত যেতিয়া আইন-অমান্য আন্দোলন জোৰেৰে চলিছে, ঠিক সেই সময়তে সমুদ্ৰৰ সিপাৰে লণ্ডনত বহি বৃটিছ চৰকাৰে বন হৈ চৈ আৰু ধুমধাম কৰি এখন যুৰণীয়া মেজমেলৰ বৈঠক পাতিলে। এই বৈঠকৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাছিল। ভাৰতবৰ্ষৰ যিসকলে ইয়াত যোগ দিছিল তেওঁলোক সকলোৱেই আছিল চৰকাৰৰ মনোনীত প্ৰতিনিধি। পুতলা নাচৰ পুতলা, অশৰীৰী ছায়ামূৰ্তিৰ দৰে এওঁলোকে লণ্ডন, সেই নজৰবন্দত ঘূৰি ঘূৰি নাচিছিল, মনে মনে তেওঁলোকে ভালকৈয়ে উপলব্ধি কৰিছিল যে আচল যুদ্ধখন ইয়াত নহয়—সেই যুদ্ধ হৈছে ভাৰতবৰ্ষত। বৈঠকৰ আলোচনাত চৰকাৰ পক্ষই সকলো সময়তে সাম্প্ৰদায়িক সমস্যাটোকে সন্মুখত দাঙি ধৰিলে, তাৰেই তেওঁলোকে প্ৰমাণ কৰিব

বিচাৰিলে ভাৰতবৰ্ষৰ দুৰ্বলতা ক'ত। বৈঠকত যোগ দিবৰ কাৰণে বৰ বেচি উগ্ৰ সম্প্ৰদায়ীকতাবাদী আৰু প্ৰগতি বিৰোধী লোকসকলকেই বেছ সযত্নে বাছি বাছি নিমন্ত্ৰণ কৰা হৈছিল, যেন তেওঁলোকৰ মাজত চৰম মীমাংসা হবৰ কোনো সম্ভাৱনাই নাথাকে।

১৯৩১ চনৰ মাৰ্চ মাহত কংগ্ৰেছ আৰু চৰকাৰৰ মাজত এটা যুদ্ধ বিৰতিৰ বা সাময়িক আপোচ ঘোষণা কৰা হ'ল, যেন এওঁলোকৰ মাজতো আৰু কিছু আলাপ আলোচনা চলিব পাৰে। এয়ে হ'ল গান্ধী-আৰউইন চুক্তি। আইন-অমান্য আন্দোলন বন্ধ কৰা হ'ল; হাজাৰ হাজাৰ আইন অমান্যকাৰী বন্দীয়ে মুক্তি পালে—অৰ্ডিনেন্সবোৰো বাতিল কৰি দিয়া হ'ল।

১৯৩১ চনত গান্ধীজী লণ্ডনলৈ গ'ল, কংগ্ৰেছৰ তৰফৰপৰা দ্বিতীয় ঘূৰণীয়া মেজমেলত যোগ দিলেগৈ। ইফালে ভাৰতবৰ্ষত তেতিয়া তিনটা সমস্যা প্ৰবল হৈ উঠিছে, কংগ্ৰেছ আৰু চৰকাৰ দুয়ো পক্ষৰে মনোযোগ সেইফালে আছে। প্ৰথমটো হৈছে বঙ্গদেশকলৈ, তাত সন্ত্ৰাসবাদ দমন কৰাৰ নামত চৰকাৰে সকলো ৰাজনৈতিক কৰ্মীৰ বিৰুদ্ধে এটা নৃসংশ অভিযান চলাইছে। নতুন নতুন অৰ্ডিনেন্স জাৰি কৰা হৈছে; সেইটো আগৰটোতকৈও বহুত বেছি কঠোৰ। দিল্লীত ইতিমধ্যে দুয়োপক্ষৰ মিতমাত হৈ গৈছে, কিন্তু তথাপি বঙ্গদেশৰ ভাগ্যত শান্তি মিলা নাই।

দ্বিতীয় সমস্যাৰ ঠাই হ'ল সীমান্ত প্ৰদেশ, তাত নৱজাগ্ৰত ৰাজনৈতিক চেতনাৰ উৎসাহত জনতাই তেতিয়াও কিছুমান কাম কৰি ফুৰিছে। খান আব্দুল গফৰ খানৰ নেতৃত্বত পৰিচালিত এটি বিৰাট সুশৃঙ্খল অথচ অহিংস প্ৰতিষ্ঠানে দেশৰ সকলোতে শাখা বিস্তাৰ কৰিছে। এওঁলোকৰ নাম আছিল, 'খোদা-ই-খিদমৎগাৰ।' বহুতে এওঁলোকক 'লাল কুৰ্তাৰ দল' বুলিছিল, এওঁলোকে ৰঙা ৰঙৰ ইউনিফৰ্ম পিন্ধে কাৰণে (সমাজতন্ত্ৰী বা কমিউনিষ্টৰ লগত এওঁলোকৰ কোনো সংশ্ৰৱ আছিল বুলি নহয়) চৰকাৰ পক্ষই এই আন্দোলনটিক অকণো পছন্দ নকৰিলে। ইয়াকে দেখি তেওঁলোকৰ ভয় হৈছিল। ভাল এজন পাঠান সৈনিকৰ মূল্য কি সেইটো তেওঁলোকে নজনা নহয়।

তৃতীয় সমস্যাটো উদ্ভৱ হ'ল যুক্তপ্ৰদেশত। পৃথিৱী জুৰি আৰ্থিক সঙ্কট আৰু পণ্যৰ মূল্য কমাৰ ফলত দৰিদ্ৰ প্ৰজাসকলৰ চৰম দুৰ্দশা উপস্থিত হৈছিল। এওঁলোকে মাটিৰ খাজনাও দিব পৰা নাছিল। চৰকাৰে কিছুমান খাজনা মাফ কৰিলে কিন্তু সেইটোৱেই যথেষ্ট নহয়। কংগ্ৰেছে প্ৰজাসকলৰ পক্ষ লৈ মধ্যস্থতা কৰিব গ'ল তাতো বিশেষ ফল নধৰিলে, ইয়াৰ উপৰিও আকৌ খাজনা আদায়ৰ সময় আহি পৰিল, তেতিয়া অৱস্থাই একেবাৰে চৰম সীমা পালেগৈ। সেইটো ১৯৩১ চনৰ নৱেম্বৰ মাহৰ কথা। কংগ্ৰেছে এলাহাবাদ জিলাত প্ৰথমে আন্দোলন আৰম্ভ কৰিলে, ৰায়ত আৰু জমিদাৰ দুয়োপক্ষকে তেওঁলোকে উপদেশ দিলে, এতিয়া কোনেও খাজনা বা ৰাজহ নিদিবা, খাজনা মাফৰ প্ৰশ্নটোৰ কি মীমাংসা হয় চাই লোৱা হওক। লগে লগেই চৰকাৰ পক্ষয়ো ইয়াৰ উত্তৰ দিলে, যুক্ত-

প্ৰদেশত এখন অৰ্ডিনেন্স জাৰি কৰা হ'ল। এই অৰ্ডিনেন্সৰ বিধান যিমান কঠিন আছিল, সিমানেই ব্যাপক আছিল; সকলো প্ৰকাৰ ৰাজনৈতিক প্ৰচেষ্টাক ধ্বংস কৰিবৰ, আনকি মানুহৰ ইচ্ছামতে চলা-ফুৰা পৰ্যন্ত বন্ধ কৰিবৰ সম্পূৰ্ণ ক্ষমতা ইয়াত জিলাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ হাতত এৰি দিয়া হ'ল।

ইয়াৰ লগে লগে সীমান্ত প্ৰদেশতো দুটা অদ্ভুত অৰ্ডিনেন্স জাৰি কৰা হ'ল, যুক্তপ্ৰদেশ আৰু সীমান্ত প্ৰদেশ, দুই ঠাইতেই নেতৃস্থানীয় কংগ্ৰেছ কৰ্মীসকলক গ্ৰেপ্তাৰ কৰা আৰম্ভ হ'ল।

এই বছৰৰ শেষ সপ্তাহত গান্ধীজী ব্যৰ্থ মনোৰথ হৈ লণ্ডনৰপৰা উভতি আহিল, আহি দেখিলে দেশত এই অৱস্থাৰ সৃষ্টি হৈছে। তিনিখন প্ৰদেশত অৰ্ডিনেন্স শাসন প্ৰতিষ্ঠিত, তেওঁৰ সহকৰ্মীসকলৰ বহুতেই ইতিমধ্যে জেললৈ গৈছে। এক সপ্তাহৰ ভিতৰতে কংগ্ৰেছে আকৌ আইন-অমান্য আন্দোলন আৰম্ভ কৰি দিলে, চৰকাৰেও আকৌ কংগ্ৰেছ কমিটিবোৰ আৰু ইয়াৰ লগত সংশ্লিষ্ট আৰু বহুতো প্ৰতিষ্ঠানক বে-আইনী বুলি ঘোষণা কৰিলে।

১৯৩০ চনৰ তুলনাত এইবাৰৰ সংগ্ৰাম বহুত বেছি তীব্ৰ আছিল, চৰকাৰ পক্ষ ইয়াৰ কাৰণে সযত্নেৰে সাজু হৈ লৈছিল, আগৰ বাৰৰ অভিজ্ঞতা এইবাৰ তেওঁলোকৰ কামত লাগিছে। বৈধতাৰ আভৰণ আৰু আইন-কানুনৰ ৰীতি-নীতিক এইবাৰ তেওঁলোকে নিঃসংকোচে বৰ্জন কৰিছে; কিছুমান সৰ্বশক্তি প্ৰদত্ত অৰ্ডিনেন্স জাৰি কৰি অসামৰিক কৰ্মচাৰীসকলৰ দ্বাৰাই দেশত এটা মতৰমতে সামৰিক আইনৰ শাসন প্ৰতিষ্ঠিত কৰি দিছে। ৰাষ্ট্ৰৰ মাজতো আচলতে পশুশক্তি যে লুকাই থাকে, সেইটোৱে এইবাৰ নগ্নৰূপ ধৰি আত্মপ্ৰকাশ কৰিছে। এইটো হৰই জনা কথা। জাতীয় আন্দোলনৰ শক্তি যিমান বাঢ়ি যায়, বিদেশী শাসকৰ উচ্ছেদৰ আশাটো সিমানেই বাঢ়ি যায়, ইয়াৰ প্ৰতিঘাতো সিমানেই বেছি হিংসাত্মক হৈ উঠে। সম্ভাৰ আৰু অভিভাৱকৰ আদি যিমান ডাঙৰ ডাঙৰ বুলি ইমান দিনে তেওঁলোক আওৰাই আহিছে, সেইবোৰ হঠাৎ লুকাই পৰে, তাৰ ঠাইত দেখা দিয়ে লাঠি আৰু সঙ্গীনৰ প্ৰয়োগ, বিদেশী শাসনৰ এইবোৰেই প্ৰকৃত অৱলম্বন। তেতিয়া আইনৰ স্থান অধিকাৰ কৰে—খাম-খেয়ালিয়ে—কেৱল সকলোৰে মূৰৰ ওপৰত যি বহি আছে সেই বৰ্ণনাৰ খেয়াল নহয়, প্ৰত্যেকজন ক্ষুদ্ৰ বিষয়াৰেই খেয়াল, যি তেওঁলোকৰ ইচ্ছা তাকেই তেওঁলোকে অবাধে কৰি যায়—জানে তেওঁ উপৰীয়া কৰ্মকৰ্তাসকলে তেওঁলোকৰ পক্ষেই মাত মাতিব। পুলিচৰ গুপ্তচৰ, বিশেষ কৰি চি-আই-ডিৰ মানুহেৰে চাৰিওকালে ভৰি পৰে। এওঁলোকৰ শক্তি ক্ৰমে বাঢ়ি যায়—সি ঘটিছিল আৰৰ যুগত কচিয়াত। এওঁলোকৰ কাৰ্যকলাপত বাধা দিবলৈ কোনো নাথাকে, ক্ষমতাৰে যি ইচ্ছা তাকে ব্যৱহাৰ কৰোতে এওঁলোকৰ ক্ষমতাৰ মোহ ক্ৰমে আৰু বেছি বাঢ়ি উঠে। যি চৰকাৰে প্ৰধানকৈ তেওঁলোকৰ গুপ্তচৰ বিভাগৰ যোগেদি ৰাজ্য শাসন কৰে আৰু যি দেশতে সেই শাসন প্ৰতিষ্ঠিত থাকে তাৰ নৈতিক অৱনতি ঘটিবলৈ সময় নালাগে। কাৰণ চক্ৰান্ত, চোৰাংচোৱা বৃত্তি, মিছা আৱৰণ, ত্ৰাসসৃষ্টিৰে মানুহক উত্তেজিত কৰি অন্যায় কৰোৱা, সজোৱা মোকৰ্দমাত সাজুৰি কৰা কৰা, বা জব্দ কৰাৰ ভয় দেখুৱাই মোচ আদায় কৰা, আদি নানা বিধ

কাৰতে গুপ্তচৰ বিভাগৰ আনন্দ। যোৱা তিনি বছৰ ধৰি ভাৰতবৰ্ষত সাধাৰণ চৰকাৰী কৰ্মচাৰী পুলিচ আৰু চি-আই-ডিৰ হাতত অতিশয় ক্ষমতা দি ৰখা হৈছে। এওঁলোকেও সেই ক্ষমতাৰ যথা ইচ্ছা ব্যৱহাৰ কৰিছে। ইয়াৰ ফলত বিভাগ সমূহৰ কৰ্মচাৰীসকলৰ মাজত পশুবৃত্তি আৰু দুৰ্নীতি দিনে দিনে বাঢ়ি গৈছে। ইয়াৰ উদ্দেশ্যে সন্ত্ৰাসৰ সৃষ্টি কৰা।

ইয়াৰ বিশেষ বিৱৰণ আমাৰ আৱশ্যক নকৰে। এইবোৰ চৰকাৰে যি নীতি অৱলম্বন কৰিছে, তাৰ ভিতৰত এটি চমৎকাৰ ঘটনা হৈছে, ব্যাপকভাৱে সম্পত্তি অৰ্থাৎ ঘৰ-বাৰী মটৰ গাড়ী, বেঙ্কৰ টকা আদি বাজেয়াপ্ত কৰি লোৱা—প্ৰতিষ্ঠান আৰু ব্যক্তি দুয়োৰেই। ইয়াৰ উদ্দেশ্যে আছিল মধ্যবিত্ত শ্ৰেণীৰ লোক যিসকল কংগ্ৰেছৰ ফালে আছে, তেওঁলোকৰ ওপৰত আঘাট কৰা। ইয়াৰ এখন অৰ্ডিনেন্সত কোৱা হৈছে, নাবালক শিশুৱেও যদি অপৰাধ কৰে, তেন্তে তাৰ কাৰণে পিতা-মাতা বা অভিভাৱকক শাস্তি দিয়া হ'ব।

ভাৰতবৰ্ষত যেতিয়া এই সকলো ঘটনা ঘটিছে, ঠিক তাৰ লগে লগেই বৃটেইনৰ প্ৰচাৰ বিভাগে বৰ কোলাহল কৰি পৃথিৱী জুৰি প্ৰচাৰ কৰি ফুৰিছে, ভাৰতবৰ্ষ একেবাৰে সোণৰ দেশ —নন্দন কানন। ভাৰতবৰ্ষৰ ভিতৰত কোনো বাতৰি কাকততেই সঁচাকৈয়ে যি ঘটিছিল তাক ছপা কৰি উলিয়াবলৈ সাহস পোৱা নাছিল, শাস্তিৰ ভয়ত কোন ক'ত গ্ৰেপ্তাৰ হ'ল তেওঁলোকৰ নাম প্ৰকাশ কৰাটোও অপৰাধ।

কিন্তু বৃটিছ কূটনীতিৰ প্ৰকৃতৰূপ সকলোতকৈ বেছি ধৰা পৰিছে। এটি কথাত ভাৰতত যি দলবোৰ সকলোতকৈ প্ৰগতিবিৰোধী, তেওঁলোকৰ লগতেই বৃটিছ চৰকাৰে মিত্ৰতা স্থাপনৰ চেষ্টা কৰিছে। প্ৰগতিৰ প্ৰকৃত সোঁতৰ বিৰুদ্ধে থিয় হৈ বৃটিছ সাম্ৰাজ্যৰ এই যুদ্ধ, সেই যুদ্ধত তেওঁলোকে সহায় স্বৰূপে অৱলম্বন কৰিছে, সামন্তপন্থী আৰু আন আন প্ৰতিক্ৰিয়াশীল চৰমপন্থীসকলক। এই দেশত যি সকলৰ 'কায়েমী স্বাৰ্থ' আছে, তেওঁলোকক নিজৰ দললৈ টানি আনিবৰ চেষ্টাই চৰকাৰে কৰিছিল, তেওঁলোকক ভয় দেখুৱাইছিল, বৃটিছৰ প্ৰভুত্ব যদি এই দেশৰ পৰা যায়, তেনেহলে দেশত তৎক্ষণাৎ সমাজ বিপ্লৱ ঘটিব—তেতিয়া হ'ব এওঁলোকৰ সৰ্বনাশ। বৃটিছৰ আত্মৰক্ষা বাহিনীৰ এতিয়া প্ৰথম শাৰীৰ সৈন্যদল হৈছে সামন্ত ৰজাসকল, তাৰ পিছত আছে ডাঙৰ ডাঙৰ জমিদাৰসকল। কূট কৌশলৰ নানা বিধৰ চতুৰালি খেলি, উগ্ৰসাম্প্ৰদায়িকতাবাদীসকলক ঠেলি হেচি সন্মুখলৈ আনি থিয় কৰাই, সংখ্যালঘুসকলৰ সমস্যাটো এওঁলোকে বেছি ফুলাই ডাঙৰ কৰি তুলিছে, যেন স্বাধীনতাৰ পথত ভাৰতৰ অভিযান তাৰ কাৰণেই উজুটি খায় পৰে। সম্প্ৰতি আৰু এটা সুন্দৰ দৃশ্য আমি দেখিলোঁ—হৰিজনসকলৰ মন্দিৰ প্ৰৱেশৰ কথাটোত বৃটিছ চৰকাৰে হিন্দু সমাজৰ প্ৰগতি বিৰোধী উগ্ৰ ধৰ্মগুৰুসকলৰ প্ৰতি বৰ সহানুভূতি আৰু আন্তৰিক প্ৰীতিত বিগলিত হৈ পৰিছিল। সকলোতে বৃটিছ চৰকাৰে তেওঁলোকৰ দলবৃদ্ধি কৰিবৰ চেষ্টা কৰিছিল—প্ৰগতি বিৰোধী সংকীৰ্ণ, ধৰ্মান্ধ আৰু বিভ্ৰান্ত স্বাৰ্থপৰতাৰ সহায় লৈ।

গণসংগ্ৰামৰ এটা বৰ ডাঙৰ সুবিধা আছে। ইয়াৰ মাজত হয়তো আঘাট, বেদনা সকলো আছে; জনসাধাৰণক ৰাজনীতিৰ শিক্ষাত দীক্ষিত কৰি তুলিবৰ

এনে ভাল আৰু এনে সহজ পন্থা আৰু নাই। জনসাধাৰণক শিক্ষা দিব লাগে ডাঙৰ ডাঙৰ ঘটনাৰ পঢ়াশালিত। শান্তিৰ সময়ত যিবোৰ সাধাৰণ ৰাজনৈতিক কাৰ্যকলাপ চলি থাকে তেনে গণতান্ত্ৰিক দেশত নিৰ্বাচন, তাত সাধাৰণ মানুহে বহুত সময়ত বুজিব নোৱাৰে—কথাটো আচলতে কি? চাৰিওফালে ডাঙৰ ডাঙৰ বক্তৃতা, তাৰ বানপানীত তেওঁলোকে হাবুডুবু খাইছে, নিৰ্বাচন প্ৰাৰ্থী প্ৰতিজন লোকেই ডাঙৰ ডাঙৰ চন্দ্ৰ ধৰি দিয়াৰ প্ৰতিশ্ৰুতি কৰিছে; ভোটাৰ বেচেৰা নিৰীহ জীৱ, পথাৰত বা কাৰখানাত বা দোকানত কাম কৰিয়েই তেওঁলোকৰ দিন যায়—দেখি শুনি তেওঁলোক একেবাৰে ভেবা লাগি যায়। ইদলৰ পৰা সিদলৰ যে আচল পাৰ্থক্য ক'ত সেইবোৰ তেওঁলোকে ভাল দৰে নাজানেও। কিন্তু গণ-সংগ্ৰাম যেতিয়া আহে বা বিপ্লৱ যেতিয়া ঘটে, তেতিয়া প্ৰকৃত অৱস্থাটো যেন বিজুলীৰ উজ্জ্বল পোহৰত উদ্ভাসিত হৈ উঠে, তেওঁলোকৰ চকুতো ইয়াৰ স্বৰূপ স্পষ্ট ভাবে ধৰা পৰে। সেই সংকটৰ মুহূৰ্তত কোনো দল, কোনো শ্ৰেণী, কোনো ব্যক্তিয়েই তেওঁলোকৰ প্ৰকৃত মনোভাব, বা চৰিত্ৰক ঢাকি লুকাই ৰাখিব নোৱাৰে। সত্য কেতিয়াও গোপনে নাথাকে, প্ৰকাশ সি পাবই। বিপ্লৱৰ দিনত কেৱল যে মানুহৰ চৰিত্ৰবল, সাহস, সহিষ্ণুতা, আত্মত্যাগ, আৰু শ্ৰেণীগত চেতনাৰেই অগ্নি পৰীক্ষা হয়, সেইটোৱেই নহয় বিভিন্ন শ্ৰেণী আৰু দলৰ মাজত যি প্ৰভেদ যি বিৰোধ ইমানদিনে শুৱলা আৰু অস্পষ্ট ভাষাত মেৰ পাকত ঢাক খাই থাকিব সিও তেতিয়া স্পষ্ট হৈ আত্ম প্ৰকাশ কৰে।

ভাৰতৰ আইন-অমান্য আন্দোলন এটি জাতীয় সংগ্ৰাম, শ্ৰেণী সংগ্ৰাম ই কেতিয়াও নহয়। এই আন্দোলন চলাইছে মধ্যবিত্ত শ্ৰেণী লোকসকলেই তেওঁলোকৰ পিচত আছিল খেতিয়কসকল। এতেকে শ্ৰেণীগত আন্দোলনত যিভাৱে বিভিন্ন শ্ৰেণীক বেলেগ কৰি পেলোৱা হয় ইয়াত সেইটো সম্ভৱ নহয়। কিন্তু তথাপি এই জাতীয় আন্দোলনৰ মাজত বিভিন্ন শ্ৰেণী কিছু পৰিমাণে বিভিন্ন পথত অৱলম্বন কৰিছিল। এওঁলোকৰ কিছুমানে যেনে সামন্ত নৃপতি, তালুকদাৰ আৰু ডাঙৰ ডাঙৰ জমিদাৰসকলে চৰকাৰৰ পক্ষে সম্পূৰ্ণৰূপে যোগ দিলে, জাতীয় স্বাধীনতাৰ তুলনাত শ্ৰেণীগত স্বাৰ্থ এওঁলোকৰ ওচৰত বেছি দৰকাৰী কথা।

কংগ্ৰেছৰ নেতৃত্বত জাতীয় আন্দোলনৰ প্ৰসাৰৰ ফলত দলে দলে কৃষকসকল কংগ্ৰেছত যোগ দিলে আৰু তেওঁলোকৰ বহুতো অভাৱ অভিযোগৰ প্ৰতিকাৰৰ কাৰণে কংগ্ৰেছৰ মুখাপেক্ষী হ'ল। ইয়াৰ দ্বাৰা কংগ্ৰেছৰ শক্তি বহু পৰিমাণে বাঢ়ি গ'ল আৰু লগে লগে কংগ্ৰেছ প্ৰকৃত গণ-প্ৰতিষ্ঠান হৈ উঠিল। নেতৃত্বৰ ভাৰ অৱশ্যে মধ্যবিত্তসকলৰ হাতত ৰৈ থাকিল, কিন্তু নিচেই তলখাপৰ থৈচাত ইয়াৰ ৰূপ পৰিবৰ্ত্তন হ'ল, আৰু ক্ৰমে কংগ্ৰেছে ভূমি সম্বন্ধীয় আৰু সামাজিক সমস্যা সমূহৰ প্ৰতি বেছি মনযোগ দিবলগীয়া হ'ল। সাম্যবাদৰ প্ৰতি আকৰ্ষণো ক্ৰমে বাঢ়িব ধৰিলে ১৯৩১ চনত কৰাচী কংগ্ৰেছত মানুহৰ মৌলিক অধিকাৰ আৰু অৰ্থনৈতিক কাৰ্য্যসূচী সম্বন্ধে এটা অতি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত হৈছিল, তাতেই এইটো সুস্পষ্ট হৈ উঠিছে। এই প্ৰস্তাৱত কোৱা হৈছে যে শাসনতন্ত্ৰত জনসাধাৰণৰ স্বাধীনতাৰ কিছুমান সৰ্বজন গৃহীত, সুপ্ৰতিষ্ঠিত অধিকাৰ আৰু সংখ্যা লঘিষ্ঠসকলৰ স্বাৰ্থৰ

সংৰক্ষণৰ সুব্যৱস্থা থাকিব। ইয়াত আৰু কোৱা হৈছে যে অত্যাৱশ্যকীয় মৌলিক শিল্প ব্যৱসায়বোৰ সকলো ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত হব। স্বাধীনতা সংগ্ৰামে যে কেৱল ৰাজনৈতিক স্বাধীনতাৰ যুদ্ধকে নুবুজায় আৰু বহুত কথাই ইয়াত সংশ্লিষ্ট আছে সেই ধাৰণা স্পষ্ট হৈ উঠিল আৰু এটা সমাজতন্ত্ৰিক কাঠামোও ইয়াত সংযোগ কৰা হ'ল। আচল প্ৰশ্ন হ'ল—কি কৰি জনসাধাৰণৰ শোষণ আৰু দাৰিদ্ৰ্য দূৰ কৰা যায় আৰু স্বাধীনতা এইবোৰ লক্ষ্যৰেই এটা পথ মাত্ৰ হৈ উঠিল।

যি সময়ত ভাৰতত আইন-অমান্য আন্দোলন চলিছিল, আৰু ৰাজনৈতিক কৰ্মী-সকলৰ অধিক ভাগেই জেলত আছিল, ঠিক সেই সময়ত বৃটিছ চৰকাৰ ভাৰতৰ শাসন তন্ত্ৰ সংস্কাৰৰ কাৰণে কেইটামান প্ৰস্তাৱ উত্থাপন কৰিব। প্ৰস্তাৱবোৰৰ মৰ্ম হ'ল—প্ৰদেশত সীমাবদ্ধ স্বায়ত্ব শাসন প্ৰবৰ্তন আৰু কেন্দ্ৰত যুক্তৰাষ্ট্ৰ (যাতে গোটেই ৰজাসকলৰ প্ৰভাৱেই প্ৰবল হৈ থাকিব) প্ৰতিষ্ঠা। কামটো বেছ সুষ্ঠু ৰূপেই সম্পন্ন হৈছিল সন্দেহ নাই, কাৰণ; যুদ্ধৰ সহায়ত মানুহে যিকালে যিমান সম্ভৱ ৰক্ষা কৰচ বান্ধিব কৰিব পাৰে বৃটিছ চৰকাৰে তাৰ একোৱেই ইয়াত বাদ দিয়া নাছিল। এই ৰক্ষা কৰচৰ জোৰত সংশ্লিষ্ট সকলৰ 'কায়েমীস্বাৰ্থ' — বজি থাকিব, যিবোৰ লৈ বৃটেনে ভাৰতৰ জীৱন যাত্ৰাৰ প্ৰত্যেক ক্ষেত্ৰত অৰ্থাৎ সামৰিক অসামৰিক আৰু বাণিজ্য ক্ষেত্ৰত যি দখলী স্বত্ব প্ৰতিস্থিত কৰি ৰাখিছে সেইটো আৰু বেছি 'কায়েমী' কৰি তোলা সম্ভৱ হ'ব। ইয়াত ৩৫ কোটিৰো বেছি ভাৰতবাসী স্বাৰ্থই উপেক্ষিত হব বুলি মনত হ'ল। এই প্ৰস্তাৱবোৰৰ বিৰুদ্ধে ভাৰতত তীব্ৰ প্ৰতিবাদ আৰু বিৰোধিতা হৈছিল।

ব্ৰহ্মদেশৰ কথা মই এতিয়ালৈকে একো কোৱা নাই, এইবাৰ তাৰ কথাও অলপ কব লাগিব। ১৯৩০ বা ১৯৩২ চনৰ আইন-অমান্য আন্দোলনত ব্ৰহ্ম-দেশে যোগ দিয়া নাছিল। কিন্তু ১৯৩০ আৰু ১৯৩১ চনত উত্তৰ ব্ৰহ্মত বিৰাট এটা কৃষক বিদ্ৰোহ হৈ গৈছে, অতিশয় আৰ্থিক দুৰৱস্থাৰ কাৰণেই ইয়াৰ উদ্ভৱ বুলি ধাৰণা হয়। বৃটিছ চৰকাৰে একেবাৰ কষ্টৰোধিত পীড়ন আৰম্ভ কৰি সেই বিদ্ৰোহ দমন কৰে। এতিয়া বৃটিছ চৰকাৰে প্ৰাণপণে চেষ্টা কৰিছে ব্ৰহ্ম দেশক ভাৰতবৰ্ষৰপৰা বেলেগ কৰি দিয়া।

মন্তব্য (অক্টোবৰ ১৯৩৮):

পাচঁ বছৰ ছমাহ আগতে জেলৰপৰা এই চিঠি লেখাৰ পিছত ভাৰতত বহুতো পৰিবৰ্তন ঘটিছে। সেই সময়তো আইন-অমান্য আন্দোলন চলিছিল যদিও তাৰ গতি বন মন্থৰ হৈ পৰিছিল; আৰু বহুতো কংগ্ৰেছ কৰ্মী জেলত আছিল। কংগ্ৰেছ প্ৰতিষ্ঠান ইয়াৰ শ শ শাখা সমিতি আৰু আন আন সহযোগী প্ৰতিস্থান বে-আইনী বুলি ঘোষিত হৈছিল। ১৯৩৪ চনত কংগ্ৰেছে অমান্য-আন্দোলন বন্ধ কৰি দিলে চৰকাৰেও কংগ্ৰেছৰ বিৰুদ্ধে নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিলে। আইন সভা বৰ্জনৰ পুৰণি নীতি পৰিবৰ্তন কৰি কংগ্ৰেছ কেন্দ্ৰীয় আইন-সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিশেষ সাফল্য লাভ কৰিলে।

১৯৩৫ চনত সুদীৰ্ঘ আলোচনাৰ পিছত বৃটিছ পাৰ্লিয়ামেণ্টে ভাৰত-শাসন

আইন গৃহীত কৰিলে। এই আইনৰদ্বাৰাই ভাৰতৰ নতুন শাসনতন্ত্ৰৰ ব্যৱস্থা হ'ল। এই শাসনতন্ত্ৰৰ ধাৰাসমূহৰদ্বাৰা বহুবিধ ৰক্ষা কৱচৰে অলপ অচৰপ প্ৰাদেশিক স্বায়ত্ত শাসন আৰু ভাৰতীয় দেশীয় ৰাজ্যসমূহৰ এখন যুক্তৰাষ্ট্ৰৰ ব্যৱস্থা কৰা হ'ল। কংগ্ৰেছে এই শাসনতন্ত্ৰ বৰ্জ্জন কৰাৰ কাৰণে ইয়াৰ বিৰুদ্ধে ভাৰত জুৰি তীব্ৰ আন্দোলন হ'ল। বৰলাট আৰু প্ৰাদেশিক লাটসকলৰ হাতত যি ৰক্ষা-কৱচ আৰু 'বিশেষ ক্ষমতা' দিয়া হ'ল সেইটোৱেই বিশেষ আপত্তি জনক হৈ পৰিল, কিয়নো এইবোৰ কথাৰ কাৰণেই প্ৰাদেশিক স্বায়ত্ত শাসন ব্যৱস্থাটো সাৰশূণ্য হ'ব বুলি ধাৰণা হ'ল। যুক্তৰাষ্ট্ৰ ব্যৱস্থাৰ কথাত আপত্তি আৰু বেছি হ'ল, কাৰণ ইয়াত দেশীয় ৰাজ্যসমূহৰ স্বেচ্ছাচাৰ মূলক শাসন ব্যৱস্থা চিৰকলীয়া হৈ থাকিব, তদুপৰি স্বেচ্ছাচাৰী সামন্তসকলৰ শাসনত থকা ৰাজ্যসমূহৰ লগত অৰ্দ্ধ প্ৰজাতান্ত্ৰিক ধৰণে শাসন কৰা প্ৰদেশবোৰৰ এটা অস্বাভাৱিক আৰু কাৰ্যত পৰিণত কৰিব নোৱাৰা সংযোগ ব্যৱস্থা ইয়াত আছিল। এইটোক ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক অগ্ৰগতিক ডিঙি চেপি মাৰিবলৈ ভাৰতক বৃটিছ সাম্ৰাজ্যবাদৰ নাগপাশত মুখ্যভাৱে (আৰু স্বায়ত্ত ৰজাসকলৰ যোগেদি গৌণভাৱে) আৰু দৃঢ়ৰূপে বান্ধিবলৈ এটি সুপৰি কল্পিত প্ৰচেষ্টা বুলি মন কৰা হ'ল। সাম্প্ৰদায়িক বাটোৱাৰাৰ ভেটিত বহুতো বেলেগ নিৰ্বাচক মণ্ডলী সৃষ্টি কৰাৰ ব্যৱস্থাও এই শাসন তন্ত্ৰত ঠাই পালে। কোনো কোনো সংখ্যা লঘু সম্প্ৰদায়ে এই ব্যৱস্থাক সাদৰেৰে গ্ৰহণ কৰিলে, কাৰণ ইয়াৰে তেওঁলোক কিছু পৰিমাণে লাভবান হ'ল—কিন্তু গণতন্ত্ৰ আৰু প্ৰগতিৰ প্ৰতিকূল বুলি ই নিন্দনীয় বুলিয়েই পৰিগণিত হ'ল।

১৯৩৭ চনৰ প্ৰথমৰ ফালে ভাৰত-শাসন আইনৰ প্ৰাদেশিক স্বায়ত্তশাসন সম্বন্ধীয় অংশ খিনি কাৰ্য্যত খটোৱা হ'ল, আৰু ইয়াৰ বিধান অনুসাৰে গোটেই ভাৰতত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ল। এই আইন বৰ্জ্জন কৰা স্বত্বেও কংগ্ৰেছে এইবাৰ নিৰ্বাচনত অংশ লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে, সেই কাৰণে দেশজুৰি এটা বিৰাট উদ্দীপনাৰ পৰিপূৰ্ণ নিৰ্বাচনী অভিযান চলোৱা হ'ল। বেছিভাগ প্ৰদেশতে কংগ্ৰেছে অতিশয় সাফল্য লাভ কৰিলে আৰু নতুন প্ৰাদেশিক আইন-সভা সমূহত কংগ্ৰেছ-কৰ্মীসকলেই সংখ্যাগৰিষ্ঠ দল গঠন কৰিলে। প্ৰাদেশিক চৰকাৰৰ অধীনত তেওঁলোকে মন্ত্ৰীত্ব গ্ৰহণ কৰিবনে নকৰে এই প্ৰশ্ন লৈ তুমুল তৰ্ক-বিতৰ্ক হ'ল। শেষত কংগ্ৰেছে চৰকাৰী পদ গ্ৰহণৰ সিদ্ধান্ত গ্ৰহণ কৰিলে, কিন্তু এইটোও স্পষ্টভাৱে ঘোষণা কৰিলে যে, ইয়াৰ আগতে স্থিৰ কৰা লক্ষ্য স্বাধীনতা আৰু সেইটো লাভ কৰাৰ কাৰণে যি নীতি আগতে গৃহীত হৈছিল সেইটো সম্পূৰ্ণ থাকিব, চৰকাৰী পদ গ্ৰহণ কৰা হ'ল কেৱল সেই নীতি অনুসৰণৰ ভৱিষ্যতে শক্তি সঞ্চয় কৰি দেশে যাতে স্বাধীনতাৰ সংগ্ৰাম চলাই যাব পাৰে তাৰ কাৰণে। আৰু কোৱা হ'ল যে প্ৰাদেশিক লাটবোৰক ৰক্ষা-কৱচবোৰ ব্যৱহাৰ কৰিবলৈ দিয়া নহব।

এই সিদ্ধান্তৰ ফলত সাতখন প্ৰদেশত যেনে— বোম্বাই, মাদ্ৰাজ, যুক্তপ্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ, উৰিষ্যা আৰু উত্তৰ পশ্চিম সীমান্ত প্ৰদেশত কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰিলে। দুখন প্ৰধান প্ৰদেশ বঙ্গদেশ আৰু পঞ্জাবত অ-কংগ্ৰেছী মন্ত্ৰীসভা গঠিত হ'ল।

কংগ্ৰেছী মন্ত্ৰীসভা গঠিত হোৱাৰ ফলত এইবোৰ অঞ্চলত ৰাজনৈতিক বন্দী-সকলে মুক্তিলাভ কৰিলে, আৰু ব্যক্তি স্বাধীনতাৰ ওপৰত যিবোৰ বাধা নিষেধ আৰোপ কৰা হৈছিল, সেইবোৰ প্ৰত্যাহাৰ কৰা হ'ল। জনসাধাৰণ এই পৰি-ৱৰ্ত্তনত উল্লাসিত হ'ল আৰু তেওঁলোকৰ অৱস্থাৰ ততাতৈয়াকৈ উন্নতি হ'ব বুলি আশা কৰিলে। জনতাৰ মাজত ৰাজনৈতিক চেতনা বেগেৰে জাগৃত হ'ল আৰু কৃষক মজদুৰসকলৰ আন্দোলনবোৰ চলোৱা শক্তি সংগ্ৰহ কৰিলে। বহুতো ধৰ্মঘট হ'ল। খেতিয়কসকলৰ ওপৰত দিয়া গুৰুভাৰ লঘু কৰাৰ উদ্দেশ্যে মন্ত্ৰী-সভাবিলাকে মাটি আৰু ঋণ সংক্ৰান্ত আইন-কানুন প্ৰণয়ন কৰিবলৈ লাগি গ'ল আৰু বিভিন্ন শিল্পত নিয়োজিত কৰ্মীসকলৰ অৱস্থাৰ উন্নতিৰ কল্পে মনোযোগ দিলে, অলপ অৱশ্যে তেওঁলোকে কৰিলে, কিন্তু যি ধৰণৰ পৰিবেশৰ মাজত তেওঁলোক আছিল, আৰু ভাৰত-শাসন আইনৰ যিবোৰ বাধাৰ ভিতৰত থাকি তেওঁলোকৰ কাম কৰিবলগীয়া হৈছিল, তাত বেছি ব্যাপক সামাজিক পৰিৱৰ্ত্তনত হাত দিবলৈ তেওঁ-লোকৰ পক্ষে সম্ভৱ নহৈছিল।

গণ-জাগৰণৰ বতাহ ভাৰতীয় দেশীয় ৰাজ্য সমূহতো লাগিছে, আৰু বহুতো ৰাজ্যত দায়িত্বশীল স্বায়ত্ব শাসনৰ দাবী তুলি শক্তিশালী আন্দোলন গঢ়ি উঠিছে। প্ৰধান প্ৰধান ৰাজ্যবোৰৰ মাজত এখন মহীশূৰ, কাশ্মীৰ, আৰু ত্ৰিবাঙ্কুৰত আৰম্ভ হৈছে। এই দাবীত ওলোটা উত্তৰ ৰাজ্যৰ কৰ্তৃপক্ষসকলে অতি নিষ্ঠুৰ হিংস্ৰ দমন-নীতি অৱলম্বন কৰিছে, বিশেষকৈ ত্ৰিবাঙ্কুৰ ৰাজ্যত। এইবোৰ আধা সামন্ত ৰাজ্যৰ কেইবাখনতো (যেনে কাশ্মীৰ) বৃটিছ কৰ্মচাৰীসকলে ৰাজ্যৰ শাসনকৰ্তা নিয়ন্ত্ৰিত কৰে।

যোৱা কেই বছৰ ধৰি ভাৰতে আন্তৰ্জাতিক সমস্যাত ক্ৰমে মনযোগ দিছে, আৰু তাৰ নিজৰ সমস্যাটোক বিশ্ব-সমস্যাৰ লগত ৰিজাই চাব বিচাৰিছে। আবি-ছিনীয়া, স্পেইন, চীন, চেকোশ্লাভেকিয়া, আৰু পেলেষ্টাইনৰ ঘটনাবোৰৰ আঘাট ভাৰতীয়সকলৰ প্ৰাণত বৰকৈ লাগিছে আৰু কংগ্ৰেছে এটা পৰৰাষ্ট্ৰনীতি প্ৰৱৰ্ত্তনৰ পাতনি মেলিছে। এই নীতিৰ ভিত্তি হৈছে যিদৰে শান্তি আৰু প্ৰজাতন্ত্ৰৰ সমৰ্থন, তেনেকৈ সাম্ৰাজ্যবাদ আৰু ফেচিজিমৰ বিৰোধী।

১৯৩৭ চনত ব্ৰহ্মদেশক ভাৰতৰপৰা পৃথক কৰা হয়। ইয়াক এখন আইন-সভা পৰিচালনাৰ ক্ষমতা দিয়া হৈছে আৰু এই আইন সভাখন-ভাৰতৰ প্ৰাদেশিক আইন সভাবোৰৰ নিচিনাই।

১৬৩

মিছৰৰ স্বাধীনতা যুদ্ধ

২০ মে, ১৯৩৩

এইবাৰ ব'লা মিছৰলৈ যোৱা যাওঁক। তাতো নৱজাগ্ৰত জাতীয়তাবাদ আৰু সাম্ৰাজ্যবাদী গৱাকীৰ মাজত সংগ্ৰাম চলিছে, তাকে অলপ চাই আহোঁ। ভাৰতবৰ্ষৰ দৰে তাৰো প্ৰভু হ'ল বৃটেন। ভাৰতবৰ্ষ আৰু মিছৰৰ মাজত বহুত ফালৰপৰাই বৰ বেছি প্ৰভেদ আছে, মিচৰত বৃটেনৰ ৰাজত্বও চলিছে, তেনেই কম দিন। তথাপি এই দুখন দেশৰ মাজত বহুতো সাদৃশ্য আৰু মিলো দেখা যায়। ভাৰতবৰ্ষৰ আৰু মিছৰৰ জাতীয় আন্দোলন একে পথ আৰু পন্থা ধৰি চলা নাই, কিন্তু স্বাধীনতাৰ কামনাৰ কথাত দুয়ো পক্ষৰে মূলতে এক, যি উদ্দেশ্য লৈ এওঁলোকৰ যুদ্ধ সিও এটা। এওঁলোকৰ এই জাতীয় আন্দোলনক দমন কৰিবৰ কাৰণে সাম্ৰাজ্যবাদী বৃটেনো দুয়ো দেশাত ঠিক একে ৰকমৰ কাণ্ড-কাৰখানা কৰি চলিছে। এতেকে এই দুখন দেশেই পৰস্পৰৰ অভিজ্ঞতা আৰু ইতিহাসৰপৰা বহু কথা শিকি লব পাৰে। আমি যিসকল ভাৰতবৰ্ষত আছোঁ আমাৰ পক্ষে বিশেষকৈ শিকিবলগীয়া কথা হৈছে এটা—মিছৰক দেখিয়েই আমি জানিব পাৰোঁ, বৃটেনে যি স্বাধীনতা দান কৰে তাৰ প্ৰকৃত স্বৰূপ কি আৰু তাৰ পৰিণতিয়েই বা ক'ত।

আৰব অঞ্চলৰ দেশসমূহৰ (আৰব, ইৰাক, চিৰিয়া, পেলেষ্টাইন) মাজত মিছৰেই সভ্যতাত সকলোৰে অগ্ৰণী। প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ ভিতৰত মিছৰেই হৈছে যাতায়তৰ ৰাজপথ। চুয়েজখাল তৈয়াৰ হোৱাৰ পিচৰপৰাই সমুদায় জাহাজ এই পথেদিয়েই যাতায়াত কৰিছে। উনবিংশ শতাব্দীত যি নবীন য়ুৰোপৰ জন্ম হ'ল, তাৰ লগত মিচৰৰ যিমানখিনি ঘনিষ্ঠ সম্বন্ধ আছিল, পশ্চিম এচিয়াৰ কোনো দেশৰেই সেইটো নাছিল। জাতিগত দেশ হিচাবেও মিছৰৰ এটি নিজস্ব ব্যক্তিত্ব আছে; আৰব অঞ্চলৰ আন আন দেশৰ পৰা ই সম্পূৰ্ণৰূপে পৃথক জীৱন যাপন কৰিছে অথচ তেওঁলোকৰ লগত ইয়াৰ সাংস্কৃতিক বন্ধনো অতি ঘনিষ্ঠ,—এওঁলোকৰ সকলোৰেই এক ভাষা, এক ৰীতি-নীতি, এক ধৰ্ম। কাইৰোৰ দৈনিক বাতৰি কাকতসমূহ আৰব অঞ্চলৰ প্ৰত্যেক দেশলৈকে যায় তাত এইবোৰৰ বৰ প্ৰভাৱ। এই দেশসমূহৰ ভিতৰত মিছৰেই জাতীয় আন্দোলন প্ৰথম গঢ়ি তুলিছিল, এতেকে মিচৰৰ সেই জাতীয়তাবাদক আৰব অঞ্চলৰ আন আন দেশবিলাকে তেওঁলোকৰ আদৰ্শস্থানীয় বুলি গ্ৰহণ কৰিছে।

১৮৮১-৮২ চনত আৰবী পাশ্বাৰ নেতৃত্বত এটি জাতীয় আন্দোলনে দেখা দিয়ে, বৃটিছ চৰকাৰে সেই আন্দোলনক দমন কৰে—ইয়াৰ কথা মই মিছৰৰ সম্বন্ধে মোৰ শেষ চিঠিত তোমাক কৈছোঁ। প্ৰথম যুগৰ সংস্কাৰবোৰৰ কথাও কৈছোঁ—জামালুদ্দিন আফগানিৰ কথা, গোৰা ইচলামপন্থীসকলৰ লগত পাশ্চাত্য দেশৰ পৰা আমদানি নতুন মতবাদৰ সংঘাতৰ কথা। এই সংস্কাৰ কৰা ইচলাম আৰু আধুনিক জগতৰ প্ৰগতিৰ মাজত সামঞ্জস্য ঘটাব বিচাৰিলে—ধৰ্ম মতৰ একেবাৰে প্ৰাচীন মূলনীতি-বোৰকেই তেওঁলোকে সত্য বুলি স্বীকাৰ কৰিলে—শতাব্দীৰ পিছত শতাব্দী ধৰি বহুতো নতুন নতুন আনুষঙ্গিক কাল প্ৰত্যেক ধৰ্মমতৰ লগতেই আহি পৰে, তাৰ বহুতো কালকে এওঁলোকে বৰ্জন কৰি চলিল। প্ৰগতিবাদী মানুহৰ পক্ষে ইয়াৰ ঠিক পিছৰ কামটো হৈছে ধৰ্মক সকলো সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰপৰা বেলেগ কৰি পেলোৱা। সকলো পুৰণি ধৰ্মমতৰেই এটা বিশেষত্ব আছে, এইবোৰে আমাৰ দৈনন্দিন জীৱন-যাত্ৰাৰ প্ৰত্যেকটো ঘটনাকে লৈ কথা কয়, এইবোৰ নিয়ন্ত্ৰিত কৰিব বিচাৰে। হিন্দুধৰ্ম আৰু ইচলাম ধৰ্ম, দুয়োৰে মাজত নিভাজ ধৰ্ম সম্বন্ধীয় শিক্ষা যিখিনি আছে, তাৰ লগে লগে আছে বহুতো সামাজিক আইন-কানুন, ৰীতি-নীতি, মানুহৰ বিয়া, উত্তৰাধিকাৰ, দেৱানী আৰু ফৌজদাৰী আইন, ৰাজ-নৈতিক প্ৰতিষ্ঠান, জীৱন-যাত্ৰাৰ প্ৰত্যেকটি কথাৰ সম্বন্ধেই ইয়াৰ কৰ্তৃত্ব। তাৰ অৰ্থ, এই ধৰ্মশাস্ত্ৰসমূহত সমাজ জৰীনৰ এটি সম্পূৰ্ণ 'কাঠামো' গঢ়ি দিয়া হৈছে, তাক চিৰস্থায়ী কৰি ৰাখিবৰ কাৰণে তাৰ লগত যোগ হৈছে—ধৰ্মৰ অনুশাসন আৰু অধিকাৰ। এই বিষয়ে সকলোতকৈ বেচি অগ্ৰনী হৈছে হিন্দুধৰ্ম—ইয়াৰ অলৰ-অচৰ জাতিভেদ প্ৰথা হৈছে ইয়াৰ ডাঙৰ সহায়। সমাজ ব্যৱস্থাক য'ত এই-ভাবে ধৰ্মৰ দ্বাৰা 'কায়েমী' কৰি ৰখা হয়—তাত কোনো ৰকমৰ পৰিবৰ্তন ঘটোৱা স্বভাৱতেই কঠিন হৈ পৰে। সেয়ে আন আন দেশৰ দৰে মিছৰৰ প্ৰগতিকামীসকলে বিচাৰিলে, ধৰ্ম আৰু সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানক বেলেগ কৰি পেলাবলৈ। এওঁলোকে যুক্তি দেখুৱালে অতীত কালত ধৰ্মমত আৰু প্ৰচলিত প্ৰথাৰ যোগেদি জনসাধাৰণে এইবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানত অভ্যস্ত হৈ পৰিছে। শাস্ত্ৰগ্ৰন্থ যেতিয়া ৰচিত হৈছিল তেতিয়া দেশৰ আৰু সমাজৰ যি অৱস্থা আছিল সেইকালৰপৰা এইবোৰেই আছিল অতি সমীচীন আৰু যুক্তিযুক্ত ব্যৱস্থা—তাত সন্দেহ নাই। কিন্তু এতিয়া অৱস্থা বহুখিনি সলনি হৈছে, এই আধুনিক অৱস্থাৰ লগত সেই পুৰণা ৰীতি-নীতিৰ ব্যৱস্থা আৰু খাপ নোখোৱা হৈছে। গৰুৰ গাড়ী চলোৱাৰ কাৰণে যি আইন তৈয়াৰ হৈছিল, ৰেলগাড়ী বা মটৰ গাড়ীৰ কাৰণে সেইটো মুঠেই প্ৰযোজ্য নহয়—ই অতি সহজ কথা।

এইটোৱেই আছিল এই প্ৰগতিপন্থী আৰু সংস্কাৰকসকলৰ যুক্তি। ইয়াৰ ফলত ৰাষ্ট্ৰ আৰু বহুতো সামাজিক প্ৰতিষ্ঠান ক্ৰমেই অতিশয় ধৰ্মনিৰপেক্ষ হৈ উঠিল, অৰ্থাৎ ধৰ্মৰ লগত তেওঁলোকৰ আৰু কোনো সম্পৰ্ক নাথাকিল। এই ঘটনা সকলোতকৈ বেছি ধৰণে আগ বাঢ়িছে তুৰস্কত—সেই কাহিনী আমি আগতে শুনিছোঁ। তুৰ্কী প্ৰজাতন্ত্ৰৰ প্ৰেচিডেণ্টে এতিয়া পদগ্ৰহণৰ শপতটোতো ঈশ্বৰৰ নাম লৈ গ্ৰহণ নকৰে, গ্ৰহণ কৰে তেওঁৰ নিজৰ আত্মমৰ্যাদাৰ নামত। মিছৰৰ

ঘটনা ইমান দূৰ আগবঢ়া নাই, কিন্তু ইয়াৰো যাবৰ মন এইফালেই। আন আন ইচলাম পন্থী দেশৰো সেই একে অৱস্থা। তুৰস্ক, মিচৰ, চিৰিয়া, পাৰস্য সকলোতেই এতিয়া জনতাই কথা কৈছে এটি নতুন ভাষাত—সেইটো হৈছে জাতীয়তাবাদৰ কথা। ধৰ্মৰ পুৰণি ভাষাত কোনেও এতিয়া আৰু কথা নোকোৱা হৈছে। এই জাতীয়কৰণৰ ভাবধাৰাত ভাৰতৰ মুছলমানসকলে যিমানখিনি বাধা দি চলিছে ইমান বোধহয় পৃথিৱীৰ আৰু কোনো ডাঙৰ মুছলমান সম্প্ৰদায়েই কৰা নাই। ইচলামপন্থী দেশসমূহত এইলোকৰ যিবোৰ একেধৰ্মৰ ভাইসকল আছে, তেওঁলোকৰ তুলনাত এওঁলোক বৰ ৰক্ষণশীল আৰু ধৰ্মবিশ্বাসী। এইটো এটা অদ্ভুত আৰু আচৰিত কথা। সাধাৰণতে সকলোতে এই নতুন জাতীয়তাবাদ গঢ়ি উঠিছে বুৰ্জোৱা শ্ৰেণীৰ জন্ম আৰু বৃদ্ধিক আশ্ৰয় কৰি, বুৰ্জোৱাৰ অৰ্থ হৈছে ধনীক তন্ত্ৰী অৰ্থনৈতিক ব্যৱস্থাৰ মাজত যি মধ্যবিত্ত শ্ৰেণীবোৰ বাঢ়ি থাকে। ভাৰতৰ মুছলমানসকলৰ ভিতৰত এই বুৰ্জোৱা শ্ৰেণী সিমান গঢ়ি উঠা নাছিল, হয়তো ইয়াৰ অভাৱৰ কাৰণেই জাতীয়তাবাদৰ পথতো তেওঁলোকৰ সংখ্যালঘু সম্প্ৰদায় বুলি তেওঁলোকৰ মন সদায় ভয়ৰে আগুৰা, সেই কাৰণেই তেওঁলোক আনবোৰতকৈ বেচি ৰক্ষণশীল, পুৰণি ৰীতি-নীতিৰ বাট এৰি চলিবলৈ তেওঁলোকৰ বৰ আপত্তি নতুন মতবাদ আৰু ৰীতি-নীতিক তেওঁলোকে স্বভাৱতেই সংশয়ৰ চকুৰে চায়। প্ৰায় হাজাৰ বছৰ আগতে ভাৰতবৰ্ষত মুছলমানৰ প্ৰথম আবিৰ্ভাৱ। হিন্দুসকলে তেতিয়া শামুকৰ দৰে নিজৰ খোলাৰ ভিতৰত হাত ভৰি আৰু সকলো অঙ্গকে সুমুৱাই লৈ, জাতিভেদ প্ৰথাৰে নিজৰ সৰ্বাঙ্গ বান্ধি এটি অতি অনড়-অচৰ জাতিত পৰিণত হৈছিল; নিশ্চয়, তাৰ মূলত আছিল এই ধৰণেৰে এটি মনোভাৱ।

উনৈশ শতাব্দীৰ শেষ ভাগত আৰু তাৰ পিচৰপৰাই বৈদেশী বাণিজ্যৰ বৃদ্ধিৰ লগে লগে মিচৰৰ নতুন মধ্যবিত্ত শ্ৰেণী বাঢ়ি আহিল। এই শ্ৰেণীৰেই এজন লোক আছিল চৈয়দ জগলুল—এটি 'ফেলা' বা খেতিয়ক পৰিয়ালত তেওঁৰ জন্ম। ১৮৮১-৮২ চনত আৰবী পাছাই যেতিয়া বৃটিছৰ লগত যুদ্ধ ঘোষণা কৰিলে—জগলুল তেতিয়া চফল ডেকা আৰবী পাছাৰ অধীনত তেৰেঁা যুদ্ধত যোগ দিলে। সেইদিনাৰ পৰাই আৰম্ভ কৰি ১৯২৭ চনলৈকে তেওঁৰ মৃত্যুৰ দিনলৈকে ৪৫ বছৰ ধৰি মিচৰৰ স্বাধীনতাৰ কাৰণে যুদ্ধ কৰি গৈছে তেওঁ; মিচৰৰ স্বাধীনতা আন্দোলনৰ তেৰেঁই আছিল নেতা। মিচৰত তেওঁৰ নেতৃত্ব একছত্ৰী। খেতিয়কৰ বংশত তেওঁৰ জন্ম-দেশৰ খেতিয়কসকলে তেওঁক নিজৰ মানুহ বুলি ভাল পাইছিল; নিজে তেওঁ ডাঙৰ হৈছিল মধ্যবিত্ত শ্ৰেণীত, সেই শ্ৰেণীৰ লোকসকলে তেওঁক দেৱতাৰ দৰে পূজা কৰিছিল। কিন্তু দেশৰ তথাকথিত অভিজাত সম্প্ৰদায়ে অৰ্থাৎ পুৰণি সামন্তপন্থী, জমিদাৰ শ্ৰেণীৰ লোকসকলে তেওঁক ভাল চকুৰে নাচাইছিল। মধ্যবিত্ত শ্ৰেণী তেতিয়া জাগি উঠিছে, দেশত ইমান দিন এওঁলোকেই প্ৰভুত্ব কৰি আহিছিল, সেই প্ৰভুত্ব আসনৰপৰা এওঁলোকে ঠেলি আঁতৰাই দিছে, সেই কাৰণেই তেওঁৰ প্ৰতি এওঁলোক প্ৰসন্ন নাছিল। তেওঁলোকৰ চকুত জগলুল আছিল এজন বনিয়া, দেশৰ নেতা আৰু তেওঁৰ নিজৰ শ্ৰেণীৰ প্ৰতিনিধি হিচাবে তেওঁ এওঁলোকৰ লগত ভীষণ যুদ্ধ কৰি চলিবলগীয়া হৈছিল। ভাৰতবৰ্ষৰ দৰেই

মিছৰতো বৃটিছসকলে এই সীমান্তপন্থী জমিদাৰ শ্ৰেণীক নিজৰ সহায় স্বৰূপে অৱলম্বন কৰিব ধৰিলে। আচলতে এই শ্ৰেণীৰ মাজত খ্ৰিষ্টীয় লোকসকলতকৈ তুৰ্কীয়েই আছিল বেছি পুৰণি কালৰ অভিজাত শাসক শ্ৰেণীৰ এওঁলোক বংশধৰ।

চিৰকাল ধৰি সমূহ সাম্ৰাজ্যবাদী প্ৰভুসকলে যি নীতিকে শুদ্ধ বুলি ধৰি ব্যৱহাৰ কৰি আহিছে, মিছৰতো বৃটেনে সেই নীতিকেই অনুসৰণ কৰিলে। দেশৰ বিশেষ এটি সামাজিক সম্প্ৰদায় বা ৰাজনৈতিক দলক নিজৰ বন্ধু কৰি ৰাখিলে, এওঁলোকে দেশৰ মাজত দলে দলে, সম্প্ৰদায়ে সম্প্ৰদায়ে কাজিয়া লগাই দি এটি অভেদ জাতীয়তাবাদ গঢ়ি উঠাৰ পথত বাধা সৃষ্টি কৰিব ধৰিলে। ভাৰতবৰ্ষৰ দৰে মিছৰতো, তেওঁলোকে এটা সংখ্যালঘু সম্প্ৰদায়। কিন্তু সেই চেষ্টা সফল নহ'ল। আৰু এই সকলো ঘটনাই তেওঁলোকে কৰিব ধৰিলে ৰীতিগত পদ্ধতিত, মুখত তেওঁলোকৰ ডাঙৰ ডাঙৰ বাণী আৰু বচন। তেওঁলোকে কয়—"যি অলপ আমি কৰিছোঁ সেইবোৰ তোমালোকৰ ভালৰ কাৰণেহে—দেশৰ লক্ষ্য লক্ষ্য মূক অধিবাসীসকলৰ স্বাৰ্থৰ আমিযেই হৈছোঁ সংৰক্ষক আৰু অভিভাৱক। আন্দোলনকাৰী আৰু এই ধৰণৰ আন আন যিসকলৰ দেশৰ লগত কোনো ৰকমৰ তেজৰ সম্বন্ধ নাই" এওঁলোকে যদি গণ্ডগোলৰ সৃষ্টি নকৰে তেন্তে সকলো একেবাৰে ঠিক হৈ যায়। অৱশ্যে দেশৰ জনতাৰ এই উপকাৰ কৰিবৰ কাৰণেই বহুসময়ত সেই উপকৃতসকলৰ বহুতো লোকক গুলী কৰি মাৰি পেলোৱা হৈছিল। হয়তো ইয়াৰ ফলত তেওঁলোকে ইহজগতৰ দুখ গ্লানিৰপৰা ৰেহাই পাব পাৰে—অন্ততঃ স্বৰ্গৰ অনন্ত সুখৰ ঠাইত অলপ লৰালৰিকৈ গৈ পাব পাৰে।

যুদ্ধৰ সময়খিনি আগৰপৰা গুৰিলৈকে আৰু তাৰ পিছতো দীঘলীয়া কাল-জুৰি মিছৰতো সামৰিক আইন চলাই ৰখা হৈছিল। যুদ্ধৰ সময়ত এটা নিৰস্ত্ৰীকৰণ আইন আৰু এটা বাধ্যতামূলক সৈনিক বৃত্তিৰ আইনো তৈয়াৰ কৰা হৈছিল। বৃটিছ সৈন্যৰে দেশখন ভৰাই পেলোৱা হৈছিল। যুদ্ধৰ একেবাৰে প্ৰথমছোৱাতে মিছৰক বৃটেনৰ এখন ৰক্ষাধীন দেশ বুলি ঘোষণা কৰা হৈছিল।

১৯১৮ চনত যুদ্ধ শেষ হ'ল। মিছৰত জাতীয়তাবাদীসকল আকৌ সক্ৰিয় হৈ উঠিল। মিছৰে কিয় স্বাধীনতা পোৱাৰ অধিকাৰী, সেই সকলো যুক্তিতৰ্ক দেখুৱাই নথিপত্ৰ বাহিৰ কৰা হ'ল। বৃটিছ চৰকাৰে আৰু পেৰিচৰ শান্তি সন্মিলনৰ ওচৰত সেই দাবী তেওঁলোকে ডাঙি ধৰিব। মিছৰত তেতিয়া প্ৰকৃত ৰাজনৈতিক দল বুলিবলৈ একো নাছিল। ওৱাটানিষ্ট বুলি এটি জাতীয়তাবাদী দল কেৱল আছিল, তাৰো সভ্য সংখ্যা অতি কম। তেতিয়া স্থিৰ হ'ল—ডাঙৰ এটি প্ৰতিনিধি দল দেশৰ পৰা পঠোৱা হব, তাৰ নেতা হব জগলুল পাছা। লণ্ডনত আৰু পেৰিচত গৈ এওঁলোকে মিছৰৰ স্বাধীনতাৰ দাবী ডাঙি ধৰিব। এই প্ৰতিনিধিদলতো যাতে সকলো জাতিৰ প্ৰতিনিধি লৈ গঠিত হয়, দেশৰ জনতাৰ পূৰ্ণ সমৰ্থন যাতে ইয়াৰ পিছত থাকে, এই উদ্দেশ্যে দেশ জুৰি সংগঠন আৰম্ভ কৰিলে। ইয়াৰ পৰাই মিছৰৰ বিখ্যাত 'ওৱাফড্' দলৰ সৃষ্টি। 'ওৱাফড' শব্দৰ মানে হ'ল প্ৰতিনিধি দল। বৃটিছ চৰকাৰে এই প্ৰতিনিধি দলক লণ্ডনলৈ যাবলৈ অনুমতি নিদিলে। ১৯১৯-চনৰ মাৰ্চ মাহত জাগলুল আৰু অন্যান্য বহুতো নেতাক গ্ৰেপ্তাৰ কৰা হ'ল।

ইয়াৰ ফলত দেশত অহিংস বিপ্লৱ আৰম্ভ হৈ গ'ল। কেইজনমান চাহাবক মাৰি পেলোৱা হ'ল; কাইৰো চহৰ আৰু দেশৰ আৰু বহুত কেন্দ্ৰস্থল বিপ্লৱী কমিটিৰ হাতলৈ গ'ল। বহুঠাইত জনসাধাৰণৰ নিৰাপত্তাৰ কাৰণে জাতীয় কমিটি স্থাপন কৰা হ'ল। বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে এই বিপ্লৱত বৰ ডাঙৰ অংশ গ্ৰহণ কৰিছিল। প্ৰথম ফালে ইয়ানখিনি সাফল্য আৰ্জন কৰিলেও পিছত কিন্তু আকৌ এই বিপ্লৱৰ বহুখিনি দমন কৰা হ'ল, অৱশ্যে তেতিয়াও মাজে মাজে বৃটিছ ৰাজ কৰ্মচাৰীসকলক নিহত কৰা হব ধৰিলে। কিন্তু বাহিৰৰ বিদ্ৰোহ দমন কৰা হলেও আন্দোলনৰ মৃত্যু নহ'ল—সি পূৰ্ণ উদ্যমে জীয়াই থাকিল। কেৱল ইয়াৰ যুদ্ধৰ নীতিতো সলনি হ'ল, এইবাৰ ই আৰম্ভ কৰিলে আৰু এক ধৰণৰ যুদ্ধ-নিষ্ক্ৰিয় প্ৰতিৰোধৰ অভিযান। এই অভিযান ইমান দূৰ সফল হ'ল যে শেষত বাধ্য হৈয়ে বৃটিছ চৰকাৰে মিচৰৰ দাবী অলপ মানিবলৈ ব্যৱস্থা কৰিবলগীয়া হ'ল। ইংলেণ্ডৰপৰা এটি কমিচন পঠোৱা হ'ল, লৰ্ড মিলনাৰ তাৰ নেতা। মিচৰৰ জাতীয়তাবাদীসকলে স্থিৰ কৰিলে তেওঁলোকে এই কমিচনক বয়কোট কৰিব। বয়কোটৰ চেষ্টাই অপূৰ্ব সাফল্য লাভ কৰিলে। মিলনাৰ কমিচনক বয়কোটৰ ব্যৱস্থাটোত ছাত্ৰসকলেই আছিল বৰ ডাঙৰ উদ্যোক্তা। গোটেই জাতিৰ এই অপূৰ্ব সংগ্ৰাম দেখি কমিচন অতিশয় মুগ্ধ হ'ল, শাসন সংস্কাৰ সম্বন্ধে বহুটো ব্যৱস্থা তেওঁলোকে অনুমোদন কৰি গ'ল। বৃটিছ চৰকাৰে তেওঁলোকৰ সেই কথা নুশুনিলে, এতেকে আন্দোলন চলি থাকিল। ১৯১৯ চনৰ প্ৰথম ভাগৰপৰা ১৯২২ চনৰ প্ৰথম ভাগলৈকে তিনিবছৰ ধৰি এই সংগ্ৰাম চলিল। মিচৰৰ লোক-সকলে স্পষ্টভাৱে জনাই দিলে, কোনো জোৰা-তালি মৰা ব্যৱস্থা মানি লবলৈ তেওঁলোকে ৰাজি নহয়, তেওঁলোকৰ দাবি হৈছে পূৰ্ণস্বাধীনতা—ইস্তিকলাল এলতাম।

১৯১৯ চনত জগলুল পাচাক গ্ৰেপ্তাৰ কৰা হৈছিল; তাৰ কিছুদিন পিছত তেওঁক এৰি দিয়া হ'ল। ১৯২১ চনত তেওঁক আকৌ গ্ৰেপ্তাৰ কৰি নিৰ্ব্বাসনত পঠোৱা হ'ল। কিন্তু বৃটিছসকলৰ ফালৰপৰা ইয়াৰদ্বাৰা মিচৰৰ অৱস্থা একো উন্নতি নহ'ল। বাধ্য হৈ তেওঁলোকে মিচৰবাসীসকলক শান্ত কৰিবলৈ ব্যৱস্থা কৰিব ধৰিলে। আপোচ-মীমাংসা যিমানেই চেষ্টা কৰা হৈছিল—সেই চেষ্টা প্ৰত্যেক-বাৰেই ব্যৰ্থ হৈছে; যদিও জগলুল নিজে একেবাৰে আপোচ-বিৰোধী বা চৰমপন্থী নাছিল। আচলতে এবাৰ কেইজনমান লোকে জগলুলক হত্যা কৰিবলৈকো চেষ্টা কৰিছিল—তেওঁলোকৰ অভিযোগ আছিল—তেওঁ বৃটেনৰ লগত অতি নিৰীহ ধৰণৰ আপোচ-মীমাংসা কৰিবলৈ চেষ্টা কৰিছে, দেশৰ প্ৰতি বিশ্বাসঘাটকতা কৰিছে, বৃটিছ চৰকাৰ আৰু মিচৰৰ জাতীয়তাবাদীসকলৰ মাজত মতৰ মিল নহৈছিল—তাৰ প্ৰকৃত কাৰণ আছিল বহুত বেছি গভীৰ—ইয়াতো এইকাৰণেই তেওঁলোকৰ মত মিলা নাই। ভাৰতবৰ্ষত যি কাৰণত দুয়োপক্ষৰ মাজত মীমাংসা সম্ভৱ হোৱা নাই—মিচৰতো ঠিক সেই কাৰণটিয়েই আছিল। মিচৰত বৃটেনৰ যত বকমৰ স্বাৰ্থ নিহিত আছিল, তাৰ সকলোখিনি উপেক্ষা বা নষ্ট কৰিব এনে কোনো অভিপ্ৰায় মিচৰৰ জাতীয়তাবাদীসকলৰ নাছিল। সেই স্বাৰ্থ সংৰক্ষণৰ কথা লৈ আলোচনা কৰিবলৈ তেওঁলোক প্ৰস্তুত আছিল। বাণিজ্য, সৈন্য চলাচলৰ পথ,

আদি কথাত বৃটেনৰ যিবোৰ বিশেষ প্ৰয়োজন মিছৰত আছিল, তাৰ কাৰণেও ব্যৱস্থা কৰিবলৈ তেওঁলোক ৰাজি আছিল। কিন্তু তেওঁলোকৰ কথা আছিল— আগতে তেওঁলোকৰ পূৰ্ণস্বাধীনতাক অক্ষুন্ন ৰাখি যিমানদূৰ সম্ভৱ এই সকলো সমস্যাৰ কথা তেওঁলোকে ভাবি চাব। ইফালে ইংলেণ্ডৰ ধাৰণা, অলপ স্বাধীনতা মিছৰক দিয়া হ'ব, ইংলেণ্ডৰ নিজৰ স্বাৰ্থক অটুট ৰাখি তাৰ পিচত সেই স্বাৰ্থক ৰক্ষাৰ ব্যৱস্থা সকলোৰে আগতে কৰিব লাগিব।

এতেকে দুয়ো পক্ষৰ মতৰ মিল হোৱা দেখা নগ'ল। কিন্তু বৃটিছ চৰকাৰবো তেতিয়া ইচ্ছা হৈছে, যিহক, এটা কথা লৰালৰিকৈ কৰি পেলোৱা দৰকাৰ- এতেকে দুয়োৰে মাজত কোনো বুজা পৰা নকৰাকৈয়ে তেওঁলোকে ১৯২২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে এটি ঘোষণা কৰিলে। তাত ক'লে—এতিয়াৰ পৰা মিছৰক এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ বুলি তেওঁলোকে স্বীকাৰ কৰিব—কিন্তু অতি গুৰুত্ব-পূৰ্ণ চাৰিটা বিষয় ইয়াৰ বাহিৰত ৰখা হব, সেইবোৰ লৈ পিছত আৰু বিবেচনা কৰি তেতিয়াহে মত প্ৰকাশ কৰা হব। এই চাৰিটা বিষয় হৈছে—(১) মিছৰৰ মাজেদি বৃটিছ সাম্ৰাজ্যৰ যিবোৰ যান-বাহন আৰু বাতৰি চলাচলৰ পথ আছে, সেইবোৰৰ নিৰাপত্তা ৰক্ষণ।

(২) প্ৰত্যক্ষ বা পৰোক্ষ যি কোনো প্ৰকাৰে, যিকোনো বিদেশী জাতিৰ আক্ৰমণ বা হস্তক্ষেপৰ পৰা মিছৰক ৰক্ষা কৰা।

(৩) মিছৰত যিবোৰ বিদেশী লোক আৰু বিদেশীসকলৰ কাম আৰু কাৰবাৰ আছে তাক ৰক্ষা কৰা, আৰু সংখ্যালঘু সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষা।

(৪) চুদানৰ অৱস্থা ভৱিষ্যতে কি হব সেই প্ৰশ্নৰ সমাধান।

ভাৰতবৰ্ষৰ যি বিষয়বোৰ আমাৰ আয়ত্বৰ বাহিৰত ৰখা হৈছে মিছৰৰ এই সংৰক্ষিত বিষয়বোৰো তাৰেই অনুৰূপ। এই দেশত আমি এইবোৰৰ নাম দিছো 'ৰক্ষাকৱচ', ইয়াত এইবোৰৰ সংখ্যাও বহুত বেছি। মিছৰবাসীসকলে তেতিয়া এই সংৰক্ষণবোৰক স্বীকাৰ কৰি লোৱা নাই, কাৰণ এইবোৰক বাহিৰৰ পৰা দেখিবলৈ বেছ সৰল সহজ আৰু নিৰীহ বুলি মনে ধৰিলেও আচলতে এইবোৰৰ মানেই হৈছে দেশৰ আভ্যন্তৰীণ, বা আন্তৰ্জ্জাতিক কোনো কথাতেই মিছৰৰ প্ৰকৃত স্বাধীনতা নাথাকিব। ১৯২২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে এই স্বাধীনতা ঘোষণা, এইটো একেবাৰে এটা একতৰফীয়া ঘটনা—বৃটিছ চৰকাৰ ইয়াৰ স্ৰষ্টা। মিছৰে ইয়াক কোনোদিনেই স্বীকাৰ কৰি নললে। বৃটেনৰ প্ৰয়োজন অনুযায়ী কেইটিমান চৰ্ত্ত বা 'ৰক্ষাকৱচ' তাৰ মাজত থাকিলে সেই স্বাধীনতাৰ প্ৰকৃত অৰ্থ কি হব, পিছৰ বছৰবোৰত মিছৰে তাৰ ভাল পৰিচয় পাইছে।

এই স্বাধীনতা দি দিয়াৰ পিছতো কিন্তু পুৰা তেৰ বছৰ ধৰি মিছৰত সামৰিক আইন চলাই ৰখা হ'ল আৰু সেই আইন প্ৰয়োগ কৰাৰ ভাৰ থাকিল বৃটিছ কৰ্ম্ম-চাৰীসকলৰ হাতত। মিছৰ চৰকাৰে এটি দায় মুক্তিৰ আইন অৰ্থাৎ এটি আইন যি আইনদ্বাৰা সকলো কৰ্মচাৰীকে তেওঁলোকৰ সামৰিক আইন প্ৰৱৰ্ত্তনৰ কালত কৰা বে-আইনী কামৰ পৰা মুক্তি দিয়া তেতিয়াহে সামৰিক আইন তুলিলিয়া হ'ল।

মিছৰ এইবাৰ স্বাধীন হৈছে—তাৰ কাৰণে এটি অতি প্ৰগতিবিৰোধী শাসনতন্ত্ৰ প্ৰণয়ন কৰি দিয়া হ'ল, তাত ৰজাৰ হাতত প্ৰচুৰ ক্ষমতা দিয়া হৈছে। ৰজা ফুয়াদ আৰু বৃটিছ কৰ্মচাৰীসকলৰ মাজত বৰ সম্ভাৱ আছিল, তেওঁলোক দুয়োপক্ষেই জাতীয়তাবাদীসকলক অপছন্দ কৰিছিল, প্ৰজাসকলৰ স্বাধীনতা থাকিব—এই কালত দুয়োপক্ষৰে সমান আপত্তি। ফুয়াদৰ ধাৰণা আছিল তেৱেঁই হৈছে দেশৰ শাসক—তেওঁ যি ইচ্ছা তাকেই কৰিব ধৰিলে; পাৰ্লিয়ামেণ্ট ভাঙি দিলে, আৰু একেবাৰে একাধিনায়কৰ দৰে দেশ শাসন কৰিব ধৰিলে। এইবোৰ কথাত তেওঁ সম্পূৰ্ণ নিৰ্ভৰ কৰিছিল বৃটিছ সৈন্যৰ শক্তিৰ ওপৰত—সেই সৈন্যসকলে কেতিয়াও তেওঁক সহায় কৰিব হেলা কৰা নাছিল।

মিছৰৰ স্বাধীনতা ঘোষণাৰ পিছত বৃটিছ চৰকাৰে প্ৰথমতেই এটি অতি নিঃস্বাৰ্থভাৱে পৰৰ উপকাৰ কৰাৰ উদাহৰণ দেখুৱালে, কলে নতুন সমাজতন্ত্ৰৰ আমোলত যি বৃটিছ কৰ্মচাৰীসকলে চাকৰী এৰি গৈছে, তেওঁলোকৰ ক্ষতি পূৰণৰ বাবে অতি বৃহৎ পৰিমাণৰ টকা মিছৰে দিব লাগিব। মিছৰৰ চৰকাৰ অৰ্থাৎ ৰজা ফুয়াদ এই কালত তৎক্ষণাত ৰাজি হ'ল। এওঁলোকৰ ক্ষতিপূৰণ বুলি মুঠ ৬, ৫০০,০০০ পাউণ্ড দিয়া হ'ল। ইয়াৰে এজন কৰ্মচাৰীয়ে পাইছিল ৮৫০০ পাউণ্ড। তাতকৈও ৰহস্যৰ কথা হ'ল, যেই কৰ্মচাৰীসকলৰ বহুতকে যিসকলক চাকৰী এৰাৰ কাৰণে এই বিৰাট পৰিমাণৰ ক্ষতিপূৰণ দিয়া হ'ল। তেওঁলোককেই বিশেষ চুক্তি অনুসৰি চৰকাৰী চাকৰীত পুনৰ ৰখা হ'ল। মনত ৰাখিবা মিছৰ বৰ ডাঙৰ দেশ নহয়, ইয়াৰ মুঠ লোকসংখ্যা যুক্তপ্ৰদেশৰ লোকসংখ্যাৰ এক তৃতীয়াংশৰো কম।

মিছৰৰ শাসন তন্ত্ৰত উচ্চস্বৰে কোৱা হৈছে "গোটেই জাতিৰ সন্মতিৰপৰাই চৰকাৰৰ সকলো ক্ষমতা উদ্ভৱ হব।" কাৰ্যত কিন্তু, নতুন শাসন তন্ত্ৰ আৰম্ভ হোৱাৰ পিছৰপৰাই আজিলৈকে মিছৰৰ পাৰ্লিয়ামেণ্টে কোনো দিনেই বিশেষ কোনো কাম কৰিবলগীয়া হোৱা নাই। ৰজা ফুয়াদৰ হাতত বাৰে বাৰে পাৰ্লিয়ামেণ্ট হঠাৎ শেষ হৈছে, শাসন তন্ত্ৰক সাময়িকভাৱে আঁতৰাই ৰাখি তেওঁ নিজে স্বৈৰতন্ত্ৰী ৰজাৰ দৰে দেশ শাসন কৰিছে।

নতুন পাৰ্লিয়ামেণ্ট প্ৰথম নিৰ্বাচিত হ'ল ১৯২৩ চনত। জগলুল পাচা আৰু তেওঁৰ দলে—তেতিয়া তাৰ নাম হৈছে ওৱাফড্ দল, দেশৰ সকলোতে জয়লাভ কৰিলে। শতকৰা নব্বৈজন লোকে তেওঁৰ পক্ষে ভোট দিলে, পাৰ্লিয়ামেণ্টত মুঠ সভ্যৰ আসন হ'ল ২১৪ খন। তাৰ ভিতৰত নিৰ্বাচনত এই জগলুল পাচাৰ দলে ১৭৭ খন আসনেই অধিকাৰ কৰিলে। ইংলেণ্ডৰ লগত কিবা এটা নিষ্পত্তি কৰিবৰ চেষ্টা এওঁলোকে কৰিলে, আলোচনা চলাবৰ কাৰণে জগলুল স্বয়ং ইংলেণ্ডলৈ গ'ল। কিন্তু দুয়ো পক্ষৰ মতামতক কোনো পথেৰেই এক কৰা সম্ভৱ নহ'ল। বহুতো বিষয়তেই আলোচনা ব্যৰ্থ হ'ল, তাৰ ভিতৰত এটা হৈছে চুদানৰ কথা। চুদান মিছৰৰ দক্ষিণ ফালে অৱস্থিত এখন দেশ। মিছৰৰ লগত ইয়াৰ পাৰ্থক্য বহুতো। ইয়াৰ মানুহবিলাকৰ জাতি একে নহয়, ভাষাও একে নহয়। নীলনদীৰ ওপৰৰ ফালটো বৈ আহিছে এই চুদানৰ মাজেদি। মিছৰৰ যিবানমিলৰ

ইতিহাস আমি পাওঁ, তাৰ একেবাৰে গুৰিৰপৰাই তাৰ মানে সাত আঠ বছৰ ধৰি এই নীলনদীয়েই মিছৰৰ ধমনীত ৰক্তস্বৰূপে হৈ আছে। প্ৰতি বছৰে নীলনদীৰ বানপানী হয়, সেই বানপানীৰ লগত আবিচিনিয়াৰ পাৰ্বত্য অঞ্চলৰপৰা ধুই লৈ আহে পলসুৱা মাটি, মৰুভূমিৰ দেশক উৰ্বৰা শস্যশ্যামলা কৰি তোলে, মিছৰৰ কৃষি, মিছৰৰ জীৱন, সকলোৰেই গঢ়ি উঠিছে এই নীলনদীৰ বানপানীক কেন্দ্ৰ কৰি। (সেই বয়কোট কৰা কমিচনৰ সভাপতি) লৰ্ড মিলনাৰে নীলনদীৰ সম্বন্ধে কৈছে—

"এই ডাঙৰ নদীখনৰ পৰা যি নিয়মিত পানীৰ যোগান আহে, মিছৰৰ পক্ষে সেইটো কেৱল সুবিধা আৰু সমৃদ্ধিৰ কথা নহয়—মিছৰৰ জীৱনেই নিৰ্ভৰ কৰিছে তাৰ ওপৰত। এই নদীৰ ওপৰৰফাল যিমানদিন মিছৰৰ আয়ত্বৰ বাহিৰত থাকিব—নিয়মিত পানী পোৱাৰ কথাটো ই সিমানদিন কিছুপৰিমাণে অনিশ্চয়তাৰ মাজত থাকিব লাগিব— এই বিপদৰ কথা ভাবিবলৈকে বেয়া লাগে।"

নীলনদীৰ সেই ওপৰৰ ভাগটো হৈছে চুদানৰ এলেকাৰ মাজত। এই কাৰণেই মিছৰৰ ফালৰপৰা চুদানৰ সমস্যা এটা অতিশয় জৰুৰী কথা।

আগতে লোকে জানিছিল চুদান দেশখন ইংলেণ্ড আৰু মিছৰৰ যুটীয়া কৰ্তৃত্বৰ অধীনত। ইয়াৰ নাম আছিল ইঙ্গ-মিছৰীয় চুদান। বৃটেনে তেতিয়া প্ৰকৃতপক্ষে মিছৰত ৰাজত্ব কৰিছে, সেয়ে মিছৰৰ বহু টকা প্ৰতি বছৰেই চুদানৰ কাৰণে খৰচ কৰা হৈছিল। ১৯২৪ চনত লৰ্ড কাৰ্জনে বৃটিছ পাৰ্লিয়ামেণ্টত থিয় হৈ কৈছিল—মিছৰে যি টকা চুদানৰ কাৰণে ব্যয় কৰিছে সেইটো যদি নকৰিলেহেঁতেন তেন্তে চুদান কেতিয়াবাই দেউলীয়া হৈ গ'ল হেঁতেন। বৃটেনক এইবাৰ মিছৰ এৰি যাবলৈ কোৱা হৈছে, চুদানক তেওঁলোকে আকুহি ধৰি থাকিব খুজিলে। ইফালে মিছৰৰ লোকেও দেখিলে, চুদানৰ মাজত আছে নীলনদীৰ গুৰি, তাৰ পানী যিয়েই নিয়ন্ত্ৰণ কৰিব পাৰিব মিছৰৰ অস্তিত্বও নিৰ্ভৰ কৰিব তাৰেই দয়াৰ ওপৰত। এইটো-ৰেই হৈছে এওঁলোকৰ স্বাৰ্থৰ বিৰোধ।

১৯২৪ চনত চৈয়াদ জগলুল আৰু বৃটিছ চৰকাৰৰ মাজত চুদানৰ কথা লৈ আলোচনা হৈছিল, চুদানৰ প্ৰজাসকলে তেতিয়া নানান উপায়ে মিছৰৰ প্ৰতি তেওঁলোকৰ সন্তাৱ প্ৰকাশ কৰিছে। এই অপৰাধত বৃটিছসকলেও তেওঁলোকৰ ওপৰত যথেষ্ট উৎপীড়ন চলাইছে—চুদানত তেওঁলোকে যি ইচ্ছা তাকে কৰি ফুৰিছে, মিছৰৰ চৰকাৰক তেওঁলোকে একোকেই নোসোধে। অথচ চুদানৰ কৰ্তৃত্ব আছিল, এওঁলোক দুয়োৰে হাতত একেলগে চুদানৰ কাৰণে মিছৰে বহুতো টকাও ব্যয় কৰিবলগীয়া হৈছিল।

মিছৰৰ তথাকথিত স্বাধীনতাৰ ঘোষণাপত্ৰত যিকেইটি সংৰক্ষিত বিষয়ৰ কথা আছিল—তাৰে আৰু এটা হৈছে—বিদেশৰ স্বাৰ্থ ৰক্ষা। বিদেশীৰ এই স্বাৰ্থ বুলিলে কি বুজায়? আগৰ এখন চিঠিতো, ইয়াৰ কথা মই অলপ কৈছোঁ। তুৰ্কী সাম্ৰাজ্য যেতিয়া দুৰ্বল হৈ পৰিল, তেতিয়া ইয়ুৰোপত ডাঙৰ ডাঙৰ শক্তিমান দেশবোৰে তাৰ ওপৰত নানাবিধ আইন-কানুন জাপি-দিলে। এই আইনত কোৱা হ'ল, তুৰস্কত এইবোৰ দেশৰ যিসকল প্ৰজা বাস কৰিছে তেওঁলোকৰ সম্বন্ধে বিশেষ

ধৰণৰ ব্যৱস্থা ৰাখিব লাগিব। এই য়ুৰোপীয় বিদেশীবিলাকে যি কোনো অপৰাধকে কৰক তুৰ্কী আইন বা তুৰ্কী আদালতত তেওঁলোকৰ বিচাৰ হব নোৱাৰিব। এওঁলোকৰ বিচাৰ কৰিব এওঁলোকৰ নিজৰ দেশৰ 'কনচাল' বা কূটনৈতিক ৰাষ্ট্ৰদূতসকলে অথবা কোনো বিশেষ আদালতত, সেই আদালত বিদেশীসকলক লৈয়েই গঠিত হব। আৰু বহুত ধৰণৰ বিশেষ সুবিধা এওঁলোকে ভোগ কৰিছিল, যেনে বেছিভাগ কৰ এওঁলোকে নিদিয়াকৈয়ে হৈছিল। বিদেশীসকলৰ এইবোৰ বিশেষ আৰু অতি মূল্যবান অধিকাৰক এক কথাৰে কোৱা হৈছিল—'কেপিচুলেচন'—কথাটোৰ সৃষ্টি হৈছে 'কেপিচুলেট' বা 'সমৰ্পণ' কথাৰ পৰা, কাৰণ ইয়াৰ মানেই হৈছে ৰাষ্ট্ৰই তাৰ সাৰ্বভৌম অধিকাৰ এই ক্ষেত্ৰত অলপ খৰ্ব কৰিলে বা বিদেশীসকলৰ হাতত সমৰ্পণ কৰিলে। তুৰস্কই এই সকলো অত্যাচাৰ মানি চলিব লগীয়া হ'ল, সেই কাৰণেই তুৰ্কী সাম্ৰাজ্যৰ আন আন অঞ্চলবোৰেও এইবোৰ মানি লবলৈ বাধ্য হ'ল। মিছৰ তেতিয়া সম্পূৰ্ণৰূপেই বৃটিছ শাসনৰ অধীন হৈ গৈছে, নামতো তাৰ ওপৰত তুৰস্কৰ কোনো প্ৰভুত্ব নাই। তথাপি এই বিষয়েও তাকো ঠিক তুৰ্কী সাম্ৰাজ্যৰ অংশ বুলি ধৰি লোৱা হ'ল—তাৰ ওপৰতো এই 'কেপিচুলেচন'ৰ চৰ্তবোৰ জাপি দিয়া হ'ল। এই চৰ্তৰ ফলত বিদেশী ব্যৱসায়ীসকল আৰু ধনী সম্প্ৰদায়ৰ বৰ ডাঙৰ সুবিধা হৈ গ'ল; মিছৰৰ সকলো ডাঙৰ ডাঙৰ চহৰত তেওঁলোকে ডাঙৰ ডাঙৰ কোঠি গঢ়ি তুলিলে। এনে অপূৰ্ব ব্যৱস্থা, য'ত তেওঁলোকৰ স্বাৰ্থক সকলোফালৰ পৰা বজাই ৰখা হৈছে, চাৰিওফালৰপৰা লাভৰ টকা খাই খাই তেওঁলোকে মহা আনন্দত উৎফুল্ল হৈ উঠিছে-প্ৰজাৰ দিবলগীয়া সাধাৰণ কৰ, আৰু ৰাজহৰ টকা পৰ্যন্ত তেওঁলোকৰ দিবলগীয়া হোৱা নাই—এই ব্যৱস্থা তুলি দিয়াৰ চেষ্টাক তেওঁলোকে প্ৰাণপণে বাধা দিব—এইটোতো অতি সহজ কথা। মিছৰত বিদেশীসকলৰ 'কায়েমীস্বাৰ্থ' আছিল, বৃটিছ চৰকাৰে প্ৰতিশ্ৰুতি দিছে সেইবোৰ ৰক্ষা কৰা হব। অথচ, এনে এটা ব্যৱস্থাৰ স্বাধীনতাৰ লগত যাৰ কোনোখিনিতেই মিল নাই, কেৱল সেয়ে নহয়—ইয়াৰ ফলত তাৰ ৰাজহৰো ভীষণ লোকচান হৈছে—

এই ব্যৱস্থাক মিছৰে স্বীকাৰ কৰি লোৱা সম্ভৱ নহয়। দেশৰ মাজত সকলোতকৈ যিসকল ধনীলোক, তেওঁলোকেই যদি কৰ দিয়াৰ দায়িত্বৰপৰা অব্যাহতি পায়, তেন্তে সামজিক ব্যৱস্থাৰ কোনো ডাঙৰ সংস্কাৰ ঘটাবলৈ যোৱাৰ চেষ্টা কৰাই অসম্ভৱ হৈ উঠে। বৃটিছ প্ৰভুসকলে দীৰ্ঘকাল ধৰি দেশৰ প্ৰত্যক্ষ শাসন চলাই আহিছে—এই দীঘলীয়া কালছোৱাৰ ভিতৰত প্ৰাথমিক শিক্ষা বিস্তাৰ বা স্বাস্থ্যৰ উন্নতি বা গাৱঁৰ উন্নতি আদিৰ কোনো ব্যৱস্থাই তেওঁলোকে কৰা নাই।

তাৰ উপৰিও আৰু বৰ মজাৰ কথা যে তুৰস্ক উপলক্ষ্য কৰি এই 'কেপিচুলেচন'ৰ সৃষ্টি কৰা হৈছিল। কিন্তু কামাল পাছাৰ জয়ৰ পিচৰপৰাই তুৰস্কত ইয়াৰ অৱসান ঘটিল, অথচ বৃটিছৰ ৰক্ষাধীন অঞ্চল মিছৰত আজিও এইবোৰ সজীৱ হৈ আছে। ইয়াতে আৰু এটা কথা কওঁ —চীনতো আজিলৈকে কিছুমান এনে ধৰণৰ কথা বৰ্তি আছে, চীনে তাৰ লগত আজিও যুদ্ধ কৰিছে। উনৈশ

শতাব্দীত কিছুদিনৰ কাৰণে জাপানতো ইয়াৰ প্ৰৱৰ্তন হৈছিল—কিন্তু জাপান শক্তি-শালী হৈ উঠাৰ লগে লগেই সেইবোৰ উঠাই দিছে।

এতেকে বৃটেন আৰু মিছৰৰ মাজত বুজাপৰাৰ পথত এই বিদেশীসকলৰ 'কায়েমী-স্বাৰ্থৰ সমস্যাটোৱেই এটা ডাঙৰ বাধা হৈ থিয় দিলে। 'কায়েমীস্বাৰ্থ'-বোৰ সদায় স্বাধীনতাৰ পৰিপন্থী।

মিছৰত আৰু এটা কথাত বৃটিছ চৰকাৰে তেওঁলোকৰ সচৰাচৰ মহানুভৱতা দেখুৱাইছিল, কৈছিল, দেশৰ ভিতৰত যিবোৰ সংখ্যালঘু সম্প্ৰদায় আছে তেওঁলোকৰ স্বাৰ্থ তেওঁলোকে ৰক্ষা কৰিব। ১৯২২ চনৰ ফেব্ৰুৱাৰীমাহৰ স্বাধীনতা ঘোষণাৰ মাজত ই হৈছে আৰু এটি সংৰক্ষিত বিষয়। সংখ্যালঘু সম্প্ৰদায়ৰ ভিতৰত প্ৰধান আছিল কপ্তসকল। এওঁলোক পুৰণি কালৰ মিছৰবাসীসকলৰ বংশধৰ বুলি পৰিচিত, তাৰ মানে এওঁলোকেই হৈছে মিছৰৰ গোটেই অধিবাসীসকলৰ ভিতৰত সকলোতকৈ পুৰণি জাতি। এওঁলোক খ্ৰীষ্টান, খ্ৰীষ্টধৰ্মৰ একেবাৰে প্ৰথম যুগতে এওঁলোকে খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰিছিল, য়ুৰোপে তেতিয়ালৈকে খ্ৰীষ্টান ধৰ্ম কি নাজানিছিল। সংখ্যালঘু সম্প্ৰদায়ৰ কাৰণে বৃটেনৰ ইমান মুৰৰ কামোৰণি! এই অকৃতজ্ঞ কপ্তসকলে কিন্তু তাৰ কাৰণে মুঠেই তেওঁলোকক গদ গদ স্বৰে ধন্যবাদ জ্ঞাপন নকৰিবলৈ—স্পষ্টভাৱে কৈ দিলে—"আমাক লৈ তোমালোকে মূৰ ঘমাব নালাগে।" ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহৰ ঘোষণা প্ৰচাৰ হোৱাৰ কেইদিনমান পিছতেই কপ্তসকলে এখন ডাঙৰ সভা বহুৱালে, সেই সভাত সিদ্ধান্ত কৰিলে "জাতীয় ঐক্যৰ কাৰণে, আৰু জাতীয় সংগ্ৰামৰ লক্ষ্যক আয়ত্ব কৰিবৰ কাৰণে, আমি সংখ্যালঘু সম্প্ৰদায় হিচাবে পৃথক নিৰ্বাচন বা পৃথক সংৰক্ষণৰ কোনো-ৰকম ব্যৱস্থাকে মানি লবলৈ অস্বীকাৰ কৰিছোঁ।" কপ্তসকলৰ এই সিদ্ধান্ত শুনি বৃটিছসকল ক্ষুব্ধ হ'ল, ক'লে—এইটো এটা বৰ মূৰ্খৰ দৰে কথা। কিন্তু কথাটো মূৰ্খৰ দৰেই হক বা বিজ্ঞৰ দৰেই হওক—ইয়াৰ ফলত বৃটেনে তেওঁলোকক ৰক্ষা কৰিবলৈ যিবোৰ কাম কৰিছিল সেইবোৰ একেবাৰে সেমেকি গ'ল। সংখ্যালঘু সম্প্ৰদায়ৰ সমস্যা লৈ আৰু অলপো আলোচনাৰ অৱসৰ নাথাকিল। সচাঁকৈয়ে স্বাধীনতা সংগ্ৰামত কপ্তসকলে বহুখিনি অংশ গ্ৰহণ কৰিছিল, ওৱাফড দলত জগলুল পাছাৰ সকলোতকৈ বিশ্বাসী সহকৰ্মী যিকেইজন আছিল তেওঁলোকৰ মাজত কেইজনমান আছিল কপ্ত।

দুয়োপক্ষৰ মতৰ অমিল আৰু স্বাৰ্থৰ সংঘাত যত ইমানখিনি বেছি, তাত কেতিয়াও আপোচ নহয়। ১৯২৪ চনত মিছৰৰ প্ৰতিনিধি হিচাবে চৈয়দ জগলুল আৰু তেওঁৰ সহকৰ্মীসকলৰ লগত আলাপ-আলোচনা বহিল, এই অমিলৰ কাৰণে সেই আলোচনা ভাঙি গ'ল। বৃটিছ চৰকাৰ অতিশয় ক্ৰোধন্বিত হৈ উঠিল। ইমানদিনে তেওঁলোকে মিছৰত নিজৰ যি ইচ্ছা তাকে কৰি আহিছে, নিজৰ খেয়াল মতেই চলাৰ অভ্যাস হৈ গৈছে। এতিয়া কাইৰোৰ নতুন পাৰ্লিয়ামেণ্ট, বিশেষকৈ ওৱাফড্ নেতাসকলে কোনোৰকমে সেও নামানে,—ইয়াত খং উঠাবেই কথা। এতেকে তেওঁলোকে স্থিৰ কৰিলে, এই ওৱাফড্ দলক মিছৰৰ পাৰ্লিয়াণ্টেৰ

বেছ এটা শিক্ষা দি লাগিব—অৱশ্যে শিক্ষাতো দিব তেওঁলোকৰ অভ্যস্ত সাম্রাজ্য-বাদী পদ্ধতিতেই। অলপ দিনৰ ভিতৰতেই শিক্ষা দিয়াৰ এটা ভাল সুযোগ আহি পৰিল। কি অপূৰ্ব উপায়ে তেওঁলোকে সেই সুযোগৰ সদব্যৱহাৰ কৰিলে আৰু নিজৰ কাম হাচিল কৰি ললে সেই কথা মই ইয়াৰ পিছৰ চিঠিত লেখিম। ঘটনাটো অপূৰ্ব —আধুনিক যুগৰ সাম্রাজ্যবাদে কোন পথেৰে কাম কৰে তাৰ স্বৰূপ প্ৰকাশ কৰি চোৱাৰ এখন সুন্দৰ দাপোন হৈ আছে এইটো। সেইটো বৰ্ণাই এখন বেলেগ চিঠি নেলেখিলে তাৰ প্ৰতি অবিচাৰ কৰা হব।

১৬৪

বৃটেনৰ অধীনত স্বাধীনতাৰ স্বৰূপ

২২ মে, ১৯৩৩

১৯২৪ চনত মিছৰৰ চৰকাৰৰ প্ৰতিনিধি স্বৰূপে জাতীয়তাবাদী নেতাসকল আৰু বৃটিছৰ মাজত আলাপ—আলোচনা বহিল। এই আলোচনা ব্যৰ্থ হৈ গ'ল, আৰু তাৰ ফলত বৃটিছ চৰকাৰ অতিশয় ক্ৰোধান্বিত হল, ইয়াৰ ফলত যিবোৰ অভিনৱ ঘটনা ঘটিল তাৰ কথা তোমাক কম, কিন্তু তাৰ আগতে তুমি এটা কথা মনত ৰাখিব লাগিব; তথাকথিত 'স্বাধীনতা' পায়ো কিন্তু মিছৰ বৃটিছৰ সৈন্যবাহিনীৰ দখলত। কেৱল যে বৃটিছ সৈন্যই মিছৰত অৱস্থিত আছিল সেইটো নহয়—মিছৰৰ সৈন্যবাহিনীও আছিল বৃটিছৰ কৰ্তৃত্বৰ তলত, ইয়াৰ ডাঙৰ কৰ্মচাৰীজন আছিল ইংৰাজ, তেওঁৰ পদবী হৈছে সৈন্যবাহিনীৰ চৰ্দাৰ। পুলিচৰো প্ৰধান প্ৰধান কৰ্মচাৰীসকল আছিল ইংৰাজ। মিছৰত থকা বিদেশীসকলৰ স্বাৰ্থৰক্ষা কৰা হৈছে এই অজুহাতত—বৃটিছ চৰকাৰে ৰাজহ, বিচাৰ আৰু আভ্যন্তৰীণ শাসন বিভাগটোক নিজৰ কৰ্তৃত্বত ৰাখি। তাৰ মানেই দেশ শাসনৰ ভিতৰত যিকেইটা কথাৰ গুৰুত্ব বৰ বেছি তাৰ প্ৰত্যেকটোৱেই আছিল এওঁলোকৰ হাতত। মিছৰবাসীসকলে স্বভাৱতেই দাবী কৰিছিল, এইবোৰ প্ৰভুত্ব বৃটিছসকলৰ হাতৰপৰা কাঢ়ি আনিব লাগিব।

১৯২৪ চনৰ ১৯ নৱেম্বৰ তাৰিখে চাৰ লী ষ্টাক বুলি এজন ইংৰাজক কেইজনমান মিছৰৰ লোকে হত্যা কৰিলে। এওঁ আছিল মিছৰৰ সৈন্য বাহিনীৰ চৰ্দাৰ, আৰু চুদানৰো বৰলাট আছিল এৱেঁই। স্বভাৱতে এই হত্যাৰ ঘটনাত মিছৰ আৰু ইংলেণ্ডত ইংৰাজসকল বিচলিত হৈ উঠিল। কিন্তু তাতকৈয়ো বোধহয় বৰ বেছি হল মিছৰৰ জাতীয়তাবাদী দল 'ওৱাফড্'ৰ নেতাসকল—তেওঁলোকে বুজিলে এইবাৰ তেওঁলোকৰ ওপৰত এটা প্ৰতি আক্ৰমণ নকৰাকৈ বৃটিছসকলে নেৰিব। সেই আক্ৰমণ হবলৈ দেৰি নালাগিল। তিনিদিনো পাৰ নহ'ল, ২২ নৱেম্বৰ তাৰিখে মিচৰৰ বৃটিছ হাইকমিচনাৰ লৰ্ড এলেনবি, মিছৰ চৰকাৰলৈ এখন চৰম-পত্ৰ পঠালে—ইয়াত কোৱা হ'ল—মিছৰে অনতিপলমে এই কেইটা দাবী পূৰণ কৰিব লাগিব।

(১) ক্ষমা প্ৰাৰ্থনা কৰিব লাগিব।

(২) অপৰাধীসকলক দণ্ড দিব লাগিব।

(৩) বিক্ষোভ প্ৰদৰ্শন আদি সকলো প্ৰকাৰৰ ৰাজনৈতিক কাৰ্য্যকলাপৰ অনুষ্ঠান বন্ধ কৰিব লাগিব।

(৪) ৫,০০,০০০ পাউণ্ড ক্ষতিপূৰণ দিব লাগিব।

(৫) চুদানত মিছৰৰ যিমান সৈন্য আছে ২৪ ঘণ্টাৰ ভিতৰত সকলোকে আঁতৰাই দিব লাগিব।

(৬) চুদানৰ যি অঞ্চলত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে, তাত মিছৰৰ স্বাৰ্থৰ হকে কিছুমান বিধি নিষেধ জাৰি কৰা হৈছিল, সেইবোৰ বিধিনিষেধ তুলি দিব লাগিব।

(৭) মিছৰত অৱস্থিত গোটেই বিদেশীলোকৰ স্বাৰ্থৰ যি অধিকাৰ আৰু ক্ষমতা বৃটিছ চৰকাৰে আয়ত্ত কৰি নিব বিচাৰে, তাৰ সম্বন্ধে আৰু কোনোৰকম আপত্তি বা আন্দোলন কৰাতো নচলিব। বিশেষকৈ ইয়াৰ অৰ্থ আছিল, ৰাজহ, বিচাৰ আৰু আভ্যন্তৰীণ শাসনবিভাগত বৃটিছৰ কৰ্তৃত্ব বজাই ৰখা।

এই সাতোটা দাবী লক্ষ্য কৰিবলগীয়া বিষয়। ক'ত কেইজন মানুহে মিলি চাৰ লী ষ্টাকক বধ কৰিছে, সেই কাৰণেই বৃটিছ চৰকাৰে তৎক্ষণাৎ গোটেই মিছৰ চৰকাৰৰ অৰ্থাৎ মিছৰৰ গোটেই প্ৰজাৰ প্ৰতি এনে এটা ভাব পোষণ কৰিলে যেন হত্যাকাণ্ডটো তেওঁলোকেই কৰিছে—ইমান তত্‌তৈয়াকৈ আদেশ জাৰি কৰিলে যে, প্ৰকৃত অপৰাধ কাৰ সেই সম্বন্ধে কোনো তথ্য নিৰূপন কৰিবলৈকো সময় নাথাকিল। তাৰ উপৰিও এই ঘটনাকে আশ্ৰয় কৰি তেওঁলোকে বেছ শকত এটা পুঁজি হাত কৰি ললে। তাৰ উপৰিও ডাঙৰ কথা, এই হত্যাকাণ্ডটোকে উপলক্ষ্য কৰি তেওঁলোকৰ লগত মিছৰ চৰকাৰৰ যত যি কথা লৈ মতভেদ চলিছিল গাৰ জোৰেৰেই তাৰ অৱসান কৰি ললে। কেইমাহ মান আগতে মাত্ৰ, এই কথাবোৰ লৈ লণ্ডনত এওঁলোকৰ আলোচনা ভাঙি গৈছিল। ইয়াতো তেওঁলোকৰ তৃপ্তি নহ'ল—ইয়াৰ ওপৰত তেওঁলোকে আকৌ আৰু বেছি কথা সাঙুৰিলে—দেশৰ ভিতৰত কোনোৰকমৰ ৰাজনৈতিক অনুষ্ঠান আদি চলিব দিয়া নহব—অৰ্থাৎ দেশখনৰ সাধাৰণ জীৱন যাত্ৰাৰ স্বাভাৱিক পথত চলাটো বন্ধ হৈ গ'ল।

চাৰ লীৰ হত্যাকাণ্ডৰপৰাই ইমানবোৰ বিচিত্ৰ ফল ফলিল। এইটো সঁচাকৈয়ে আচৰিত কথা। এটি মাত্ৰ নৰহত্যাৰপৰা বৃটিছ জাতিৰ ইমান খিনি লাভৰ ব্যৱস্থা কৰি লোৱা, ই এটা বাস্তৱিকতে জোৰ আৰু উৰ্বৰ বুদ্ধি শক্তিৰ পৰিচয়। তাতকৈয়ো মজাৰ কথা হৈছে এই যি ই দুজন কৰ্ম্মচাৰীৰ (নামতহে বৃটিছ চৰকাৰৰ অধীন) ওপৰত অপৰাধ আৰু বিশৃঙ্খলতা নিবাৰণৰ দায়িত্ব আছিল বুলি ধৰিব পাৰি, কাইবোৰ পুলিচৰ বৰ চাহাব আৰু জনসাধাৰণৰ নিৰাপত্তা বাহিনীৰ ইয়ুৰোপীয় বিভাগৰ ডিৰেক্টৰ জেনেৰেল এওঁলোক দুয়োজনেই আছিল ইংৰাজ। চাৰ লীৰ হত্যাকাণ্ড তেওঁলোকৰ অক্ষমতাৰ পৰিচয়, এনে কথা কোনোৱে ভাবি নাচালে। বেচেৰা মিছৰ চৰকাৰে এই হত্যাৰ লগে লগেই তেওঁলোকৰ গভীৰ দুখ আৰু অনুশোচনা প্ৰকাশ কৰিছিল, আৰু এতিয়া বৃটিছ চৰকাৰৰ গোটেই খং গৈ পৰিল

তেওঁলোকৰ ওপৰত যি ধৃণৰ বোজাতো কেৱল গধুৰেই নহয়—বেছ হিচাব কৰি আৰু বৃটেনৰ পক্ষে লাভজনক কৰিয়েই তাক তৈয়াৰ কৰা হৈছিল।

বৃটিছসকলৰ এই কাৰ্যত প্ৰতিবাদ জনাই জগলুল পাছা আৰু তেওঁৰ মন্ত্ৰী-সভাই পদত্যাগ কৰিলে। ১৯২৪ চনৰ সেই নবেম্বৰ মাহতেই ৰজা ফুয়াদে মন্ত্ৰীসভা ভাঙি দিলে। বৃটেনৰেই জয় হ'ল—জগলুল আৰু তেওঁৰ ওৱাফড দলক তেওঁলোকৰ মন্ত্ৰীসভাৰপৰা আঁতৰালে, পালিয়ামেণ্টৰো শেষ হৈছে,—অন্ততঃ সেই সময়ৰ কাৰণে। তাৰ উপৰিও চুদানো তেওঁলোকৰ হাতলৈ আহি গৈছে, এতিয়া তেওঁলোকে ইচ্ছা কৰিলেই চুদানৰ নীল নদীৰ পানীৰ সোঁত বন্ধ কৰি দি মিছৰক গলত টিপি মাৰিব পাৰে।

"এটা মৰ্মান্তিক দুৰ্ঘটনাৰ সুযোগ লৈ সাম্ৰাজ্যবাদীসকলৰ প্ৰয়োজন পূৰাই লোৱা হৈছে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ জনাই মিছৰৰ পালিয়ামেণ্টে লীগ-অব-নেচনচলৈ দৰ্খাস্ত পঠাইছিল। কিন্তু ইয়ুৰোপৰ তাণ্ডৱ শক্তি কেইটাৰ বিৰুদ্ধে গোচৰ কৰিবলৈ গলে লীগ তৎক্ষণাৎ কলা আৰু কণা হৈ যায়।

সেই দিনাৰপৰা আৰম্ভ কৰি মিছৰত ক্ৰমানুয়ে যুদ্ধ আৰু টনা-আজোৰা লাগিছে। তাৰ এফালে হৈছে ওৱাফড্ দল, আচলতেই তেওঁলোকেই গোটেই জাতিটোৰে প্ৰতিনিধি, আৰু আনফালে আছে ৰজা ফুয়াড্ আৰু বৃটিছ হাই কমিচনাৰ, তেওঁ লোকৰ পিছত আছে আন আন বিদেশী শক্তি আৰু ৰাজসভাৰ অনুগ্ৰহ পোৱা ফেউৰাৰ দল। ইয়াৰ বেছিভাগ সময়েই দেশখনক শাসন কৰা হৈছে, একাধিপত্যৰ নীতিত। ৰজা ফুয়াদে ৰীতিমতে স্বৈৰতন্ত্ৰী ৰজা হিচাবেই ৰাজ্য শাসন কৰিছে, দেশৰ শাসন-তন্ত্ৰ যিখন আছিল তাক কোনোৱে মানি চলা নাই। মাজে মাজে পালিয়ামেণ্টৰ অধিৱেশন মতা হৈছে। প্ৰত্যেক বাৰেই সেই অধিৱেশনৰ লগে লগেই ভালকৈ বুজা গৈছে, দেশৰ সকলো লোকৰ সমৰ্থন আছে ওৱাফড দলৰ প্ৰতি। এতেকে তেতিয়াই আকৌ সেই পালিয়ামেণ্টক ভাঙি দিয়া হৈছে। এইবোৰ কাণ্ড কৰাৰ কোনো ক্ষমতা ফুয়াদৰ নাথাকিলহেঁতেন, যদিহে সেনাবাহিনী আৰু পুলিচ বাহিনী বৃটিছৰ হাতত মুঠিত নাথাকিলহেঁতেন। ভাৰতবৰ্ষৰ দেশীয় ৰাজ্যবোৰে যিদৰে বৃটিছ প্ৰেচিডেণ্টৰ ইঙ্গিতত চলে, মিছৰৰ—স্বাধীন মিছৰৰো অৱস্থাও বহুখিনি তেনেকুৱাই হৈছিলগৈ, প্ৰকৃত ক্ষমতা যাৰ হাতত পিছৰপৰা তেওঁলোকেই সূতা টানি তেওঁলোকক চলাইছে।

১৯২৪ চনৰ নৱেম্বৰ মাহত পালিয়ামেণ্ট ভাঙি দিয়া হৈছিল। ১৯২৫ চনৰ মাৰ্চ মাহত নতুন পালিয়ামেণ্টৰ অধিৱেশন হ'ল। ইয়াৰ ভিতৰত 'ওৱাফড্' দলৰেই সংখ্যাধিক্য। অধিৱেশন আৰম্ভতেই এই পালিয়ামেণ্টে জগলুল পাছাক 'চেম্বাৰ অব ডেপুটিজ'ৰ প্ৰেচিডেণ্ট বুলি নিৰ্বাচিত কৰিলে। ইংৰাজৰ আৰু ৰজা ফুয়াদৰ এইটো মনঃপুত নহ'ল, এতেকে ঠিক সেইদিনাই সেই নতুন পালিয়ামেণ্টক ভাঙি দিয়া হ'ল—তাৰ বয়স মাথো এদিন। ইয়াৰ পিছত সম্পূৰ্ণ এটি বছৰৰ ভিতৰত আৰু পালিয়ামেণ্ট মতা নহল। শাসনতন্ত্ৰ আছিল, কিন্তু তাক লৈ কোনে

মূৰ ঘমাব। ফুৱাদে স্বৈৰতন্ত্ৰী একাধিনায়ক হৈ শাসন কৰিব ধৰিলে, আচলতে অৰণ্যে তেওঁৰ পিছত থাকি শক্তি যোগালে বৃটিছ কমিচনাৰে। দেশৰ গোটেই লোক গুজৰি উঠিল, ৰজা ফুৱাদ আৰু ইংৰাজৰ ভিতৰত যি মিতিৰালি চলিছে তাৰ বিৰুদ্ধে যুঁজিব বুলি দেশৰ গোটেই ৰাজনৈতিক দল আহি একেলগে মিলিত হ'ল—এই মিলন ঘটালে জৈয়দ জগলুলে। ১৯২৫ চনৰ নবেম্বৰ মাহত, পাৰ্লিয়া-মেণ্টৰ সভ্যসকল মিলি এটি অধিবেশন পাতিলে,—চৰকাৰৰ নিষেধ অগ্ৰাহ্য কৰি, পাৰ্লিয়ামেণ্টৰ ঘৰটোত সৈন্য বহুৱাই ৰখা হৈছিল—গতিকে এই সভা বহিল আন ঠাইত।

ফুৱাদে কেৱল তেওঁৰ প্ৰাসাদৰপৰা এটা আদেশ জাৰি কৰিয়েই, দেশৰ গোটেই শাসনতন্ত্ৰখনকে সলনি কৰি পেলাবলৈ চেষ্টা কৰিলে। তেওঁৰ ইচ্ছা আছিল এইখনকে আৰু বেছি ৰক্ষণপন্থী কৰি তোলা, যেন ভৱিষ্যতলৈ পাৰ্লিয়ামেণ্টক আৰু বেছি হাতৰ মুঠিত ৰাখি চলাব পাৰি; আৰু জগলুলৰ দলৰ বেছি ভাগ লোকেৰেই ইয়াত প্ৰৱেশ নিষেধ হৈ যায়। কিন্তু তেওঁৰ এই চেষ্টাৰ বিৰুদ্ধে, দেশত একেবাৰে ভীষণ প্ৰতিবাদ উঠিল। ভালদৰে বুজা গ'ল, এই নতুন ব্যৱস্থা অনুসৰি যদি নিৰ্বাচন পতা হয়, তেন্তে দেশৰ জনতাই সেই নিৰ্বাচনত সমূলি যোগ নিদিয়ে। দেখি শুনি, ৰজা ফুৱাদে বাধ্য হৈয়েই পৰাজয় মানিব লগা হল, পুৰণি নিয়ম অনুসৰিয়েই নিৰ্বাচন ব্যৱস্থা কৰা হ'ল। নিৰ্বাচনৰ পিছত দেখা গল জগলুলৰ দলৰ লোক নিৰ্বাচিত হৈছে ২০০ জন, বাহিৰা লোক মাত্ৰ ১৪ জন। গোটেই জাতিৰ ওপৰত কি অসামান্য প্ৰতিপত্তি আছিল এওঁলোকৰ বা মিছৰৰ লোকসকলে কি বিচাৰিছিল, তাৰ ইয়াতকৈ ডাঙৰ প্ৰমাণ আৰু হব নোৱাৰে। কিন্তু ইয়াৰ পিছতো বৃটিছ কমিচনাৰে (এওঁৰ নাম লৰ্ড লয়েড—এসময়ত এওঁ ভাৰতৰ এজন প্ৰাদেশিক লৰ্ড চাহাব আছিল) কলে, জগলুল প্ৰধান মন্ত্ৰী হোৱাত তেওঁৰ আপত্তি আছে। এতেকে তেতিয়া আৰু এজন লোকক প্ৰধানমন্ত্ৰী পতা হল। এই কথাত ইংৰাজসকলৰ হস্তক্ষেপ কৰিব যোৱাৰ কি প্ৰয়োজন আছিল বুজিব পৰা টান। সেইবোৰ বাওক, নতুন যি মন্ত্ৰীসভা গঠিত হ'ল তেওঁলোকেও কিন্তু চলিছিল বহুতখিনি জগলুলৰ দলৰ ইঙ্গিতত। এতেকে নৰম পন্থাৰে চলাৰ সকলো ৰকমৰ চেষ্টাৰ সত্বেও প্ৰায় ইয়াৰ লগত লয়েডৰ কাজিয়া হব ধৰিলে। লয়েড আছিল অত্যন্ত দাম্ভিক আৰু প্ৰভুত্ব পৰায়ণ লোক, বৈ বৈ তেওঁ হমকি মাৰিছিল, বৃটিছ ৰণতৰী আনি গোটেই মিছৰকে চাৰখাৰ কৰি পেলাব।

১৯২৭ চনত বৃটেনৰ লগত আপোচ-মীমাংসা কৰাৰ আৰু এবাৰ চেষ্টা কৰা হল। কিন্তু বৃটেনে যিবোৰ চৰ্ত দিলে তাক দেখি ৰজা ফুৱাদৰ সেই অতি নৰম-পন্থী প্ৰধানমন্ত্ৰী মহোদয়ৰো চকু স্থিৰ হ'ল। কাগজে কলমে এটা 'স্বাধীনতা' দি তাৰ তলত আচলতে যি বস্তুটো ইয়াত স্থিৰ কৰোৱা হৈছিল তাৰ বাবা মিছৰ প্ৰকৃততে বৃটেনৰ এখন ৰক্ষাধীন অঞ্চলত পৰিণত হৈ যাব। এতেকে এইবাৰো আলাপ-আলোচনা ভাঙি গল।

এইবোৰ আলাপ-আলোচনা বেতিয়া চলিছে, এনে সময়তে ১৯২৭ চনৰ ২৩ আগষ্ট তাৰিখে সত্তৰ বছৰ বয়সত মহান নেতা জগলুল পাছাৰ মৃত্যু হ'ল।

জগলুলৰ মৃত্যু হৈছে, কিন্তু তেওঁৰ স্মৃতি জীয়াই আছে। মিছৰৰ পক্ষে সেইটো এটা উজ্জ্বল আৰু অমূল্য সম্পদ, মিছৰৰ জনতা আজিও তেওঁৰ নামত স্বাধীনতা যুদ্ধত উদ্বুদ্ধ হৈ উঠে। তেওঁৰ বৈণীয়েক মেদাম চাফিয়া জগলুল আজিও জীয়াই আছে, গোটেই জাতিৰ শ্ৰদ্ধা আৰু প্ৰীতিৰ পাত্ৰ তেওঁ, তেওঁলোকে তেওঁৰ নাম দিছে 'জাতিৰ জননী' বুলি। কাইৰো চহৰত জগলুলৰ যি ঘৰটো আছে, তাৰ নাম 'জাতিৰ ঘৰ', দীৰ্ঘকাল ধৰি সি মিছৰৰ জাতীয়তাবাদীসকলৰ প্ৰধান কৰ্মক্ষেত্ৰ হৈ আছে।

জগলুলৰ পিছত ওৱাফড দলৰ নেতা হল মুস্তাফা নাহাচ পাছা। ১৯২৮ চনৰ মাৰ্চ মাহত তেওঁ প্ৰধানমন্ত্ৰী হ'ল। দেশৰ আভ্যন্তৰীণ শাসন ব্যৱস্থাত, প্ৰজাসকলৰ নাগৰিক অধিকাৰ আৰু অস্ত্ৰ ধাৰণ অধিকাৰ আদিৰ বিষয়ে তেওঁ কেইটামান সাধাৰণ ধৰণৰ সংস্কাৰ সাধিবলৈ চেষ্টা কৰিলে। সামৰিক আইনৰ আমোলত বৃটিছসকলে এই অধিকাৰবোৰ খৰ্ব কৰি দিছিল। কিন্তু এই প্ৰস্তাৱ লৈ মিছৰৰ পালিয়ামেণ্টত আলোচনা হওঁতে নৌ হওঁতেই ইংলেণ্ডৰ পৰা আদেশ আহি পৰিল—এইবোৰ কেতিয়াও হব নোৱাৰে। মিছৰৰ এইটো এটা সম্পূৰ্ণ ঘৰুৱা কথা, ইয়াক লৈও ইংলেণ্ডে এইভাবে হস্তক্ষেপ কৰিব আহিব এইটো কেনে আচহুৱা লাগে। কিন্তু লৰ্ড লয়েড়ে যথাবিহিত পুৰণি ৰীতিত এখন চৰম পত্ৰ জাৰি কৰিলে; মল্টাৰ পৰা বহুতো বৃটিছ ৰণতৰী আলেকজেন্দ্ৰীয়া বন্দৰত হাজিৰ হল। নাহাচ পাছাই তেতিয়া অপমান নতি স্বীকাৰ কৰিলে, এই প্ৰস্তাৱৰ আলোচনা পালিয়া-মেণ্টৰ পিছৰ অধিবেশনলৈকে পিছুৱাই ৰাখিবলৈ ৰাজি হল। সেই অধিবেশন কেইমাহমান পিছত হোৱাৰো কথা।

কিন্তু পালিয়ামেণ্টৰ সেই পিছৰ অধিবেশন আৰু নহল। ৰজা আছিল, বৃটিছ কমিচনাৰ এজন প্ৰগতিবিৰোধী আৰু এজন সাম্ৰাজ্যবাদীৰ প্ৰতীক। পালিয়ামেণ্টে যাতে আৰু কেতিয়াও এইবোৰ দুষ্টামী কৰাৰ আজৰি নেপায়; এওঁ-লোকেই তাৰ ব্যৱস্থা বিচাৰিলে। এওঁলোকৰ ষড়যন্ত্ৰটোও গঢ়ি তোলা হ'ল এটা অদ্ভুত উপায়েৰে। নাহাচ পাছাৰ বৰ সুনাম আছিল তাৰ সদ চৰিত্ৰ আৰু সাধুতাৰ কাৰণে। কি এখন চিঠিৰ নকল দেখুৱাই (পিছত আকৌ প্ৰমাণ হৈছে চিঠিখন জাল বুলি) হঠাৎ এদিন নাহাচ পাছা আৰু ওৱাফড্ দলৰ এজন কপ্ত নেতাৰ নামত দুৰ্নীতিৰ অভিযোগ অনা হ'ল। ৰাজসভাৰ ফেউৰাবোৰে আৰু বৃটিছসকলে ইয়াকে লৈ বৰ হৈ চৈ লগাই দিলে। কেৱল মিছৰতে নহয় আন আন দেশতো বৃটিছ দূত আৰু বাতৰি কাকতৰ বাতৰি যোগনীয়াসকলে এই মিছা অপবাদবোৰ জাক-জমকীয়াকৈ প্ৰচাৰ কৰিব ধৰিলে। এই অভিযোগৰ সুযোগ লৈ ৰজা ফুয়াদে নাহাচ পাছাক আদেশ দিলে প্ৰধানমন্ত্ৰীৰ পদ ইস্তফা দিয়ক। নাহাচ পাছাই ক'লে—নিদিওঁ। ফুয়াদে তেতিয়া তেওঁক বৰখাস্ত কৰিলে। লয়েড্-ফুয়াদৰ চক্ৰান্তৰ দ্বিতীয় অধ্যায়টি এইবাৰ আৰম্ভ হ'ল। বিৰাট এটি ৰাজনৈতিক চাল দিলে এওঁলোকে, এখন হুকুমনামা জাৰি কৰি ৰজাই পালিয়ামেণ্টক সাময়িকভাৱে ভাঙি দিলে, শাসনতন্ত্ৰ সলনি কৰি পেলালে। শাসনতন্ত্ৰৰ যি ধাৰাবোৰত বাতৰিৰ স্বাধীনতা আৰু প্ৰজাসকলৰ আন আন অধিকাৰৰ কথা আছিল, সেইবোৰক বাদ দি দিয়া হ'ল। ৰাজ্যত একনায়কত্ববাদ ঘোষণা কৰা হ'ল। ইংলেণ্ডৰ সকলো

বাতৰি কাকতত আৰু মিছৰৰ বিবোৰ য়ুৰোপীয় লোক আছিল তেওঁলোকৰ মাজত আনন্দ উৎসৱ বাঢ়িল্।

একনায়কত্ব প্ৰতিষ্ঠিত হ'ল; তথাপি তাক অগ্ৰাহ্য কৰি পালিয়ামেণ্টৰ সভ্য-সকলে একত্ৰিত হৈ সভা পাতিলে। নতুন চৰকাৰক অবৈধ বুলি ঘোষণা কৰিলে। লয়েড্ আৰু ফুয়াদে অৱশ্যে এইবোৰ সৰু সুৰা কথাক মূল্যই নিদিলে। আইন আৰু শৃঙ্খলাৰ কামেইতো হৈছে প্ৰগতিবিৰোধ আৰু সাম্ৰাজ্যখনক বজায় ৰখা, তাক অস্ত্ৰ স্বৰূপে ব্যৱহাৰ কৰিবলৈ বুলি নহয়।

নাহাচ পাছাৰ নামত চৰকাৰে অভিযোগ আনিছিল, কিন্তু সকলো প্ৰকাৰৰ চৰ-কাৰী হেচা আৰু চেষ্টাৰ সত্বেও সেই মকৰ্দমা নৰজিল। তেওঁৰ সম্বন্ধে বিবোৰ অভিযোগ অনা হৈছিল সেইবোৰ সকলো মিচা প্ৰমানিত হ'ল। চৰকাৰে তেতিয়া আদেশ জাৰি কৰিলে (কি অপূৰ্ব সাধুত্ব আৰু বীৰত্ব) সেই মকৰ্দমাৰ ৰায় কোনেও ছপা কৰি প্ৰকাশ কৰিব নোৱাৰিলে। অৱশ্যে এই ৰায়ৰ কথা বিয়পি পৰিবলৈ বেছি দেৰি নালাগিল। দেশৰ সকলোতে আনন্দ উৎসৱৰ জাউৰি উঠিল।

দেশত তেতিয়া একনায়ত্ব চলিছে, তাৰ পিছুত আছে লয়েড্ আৰু বৃটিছৰ সৈন্য-বাহিনী। ওৱাফড্ দলক ভাঙি চিঙি চুড়মাৰ কৰি তাৰ অস্তিত্ব নিচিহ্ন কৰিবলৈ চেষ্টা চলিল-ওৱাফড্ দল মানেই মিছৰৰ জাতীয়তাবাদীসকল। দেশত দমনমতে এটা ত্ৰাসৰ সৃষ্টি কৰা হল; সকলো ৰকমৰ বাতৰিৰ ওপৰত বৰ নিকপকপীয়া চেন্সৰৰ ব্যৱস্থা হ'ল। কিন্তু এইবোৰ ব্যৱস্থাৰ সত্বেও দেশৰ ভিতৰত বিৰাট জাতীয় বিক্ষোভ প্ৰদৰ্শন হব ধৰিলে, এইবোৰ কামত দেশৰ মহিলাসকলেও এটা বৰ ডাঙৰ অংশ গ্ৰহণ কৰিলে। এবাৰতো প্ৰায় একসপ্তাহ জুৰি এটা হৰতাল চলোৱা হল; আইনজীৱিসকল আৰু বহুতে ইয়াত যোগ দিলে। কিন্তু এনেকুৱাই চেন্সৰৰ মহিমা হৰতালৰ বাতৰিটোকো কোনো বাতৰি কাকতত ছপা কৰিব নোৱাৰিলে।

এইদৰে হৈ-চৈৰ মাজত ১৯২৮ চনটো পাৰ হৈ গ'ল। বছৰৰ শেষৰফালে ইংলেণ্ডৰ ৰাজনৈতিক জীৱনৰ এটা পৰিবৰ্ত্তন ঘটিল। মিছৰৰ ওপৰতো তাৰ প্ৰতিক্ৰিয়া লগে লগেই দেখা দিলে। ইংলেণ্ডৰ এটা বনুৱা দলৰ মন্ত্ৰীসভাই গাদী দখল কৰি বহিল, গাদীত বহিয়েই তেওঁলোকে যি কেইটা কাম কৰিলে তাৰ ভিতৰত এটা হৈছে লয়েডক মিছৰৰপৰা আঁতৰাই অনা—লয়েডৰ আচৰণ বৃটিছ চৰকাৰৰ কাষতো অগ্ৰাহ্য হৈ উঠিছিল। লয়েডৰ আঁতৰাই নিয়াৰ ফলত, ইংলেণ্ডৰ লগত ফুয়াদৰ যি মিতিৰালিৰ আদেশ সি কেইদিনমানৰ কাৰণে ভাঙি গ'ল। ইংলেণ্ডৰ সাহায্যৰ বাহিৰে ফুৱাদৰ খোজ লৰচৰ কৰিবৰ শক্তি নাছিল, এতেকে ১৯২৮ চনৰ ডিচেম্বৰ মাহত তেওঁ আকৌ নতুনকৈ পালিয়ামেণ্টত নিৰ্বাচনৰ অনুমতি দিলে। এইবাৰো ওৱাফড্ দলে প্ৰায় সকলো আসনকে দখল কৰিলে।

ইংলেণ্ডৰ বনুৱা মন্ত্ৰীসভাই আকৌ মিছৰৰ লগত আলাপ-আলোচনা আৰম্ভ কৰিলে। আলোচনা চলোৱাৰ কাৰণে ১৯২৯ চনত নাহাচ পাছা লণ্ডনলৈ গ'ল। আগৰ সকলৰ তুলনাত বনুৱা দলৰ মন্ত্ৰীসভা এইবাৰ কিছু বেছি পৰিমাণে অন্তৰৰ

হ'ল, সংৰক্ষিত বিষয়বোৰৰ ভিতৰত তিনিটা বিষয়ৰ সম্বন্ধে নাহাচ পাছাৰ অভিমত তেওঁলোকে মানি ললে। কিন্তু চতুৰ্থ বিষয়টো আছিল চুদান সমস্যা—ইয়াৰ সম্বন্ধে এইবাৰো দুয়োপক্ষৰ মত নিমিলিল, সেই কাৰণে আলোচনা ব্যৰ্থ হ'ল। কিন্তু এইবাৰ আন আন বাৰৰ তুলনাত দুয়োপক্ষৰ ভিতৰত যথেষ্ট পৰিমাণে মতৰ মিল দেখা গৈছিল। আলোচনা ভাঙি যোৱাৰ পিছতো সেই কাৰণেই দুয়োপক্ষৰ সৌহাৰ্দ্য ঠিক কৰি থাকিল, দুয়োপক্ষই প্ৰতিশ্ৰুতি দিলে, পিছত ইয়াৰ বিষয়ে তেওঁলোকৰ আলোচনা হব। মুঠৰ ওপৰত এইটো নাহাচ পাছা আৰু ওৱাফড্ দলৰ পক্ষে সাফল্যই বুলিব লাগিব, কিছুৰত যিবোৰ বৃটিছ আৰু আন দেশীয় ব্যৱসায়ী আৰু মহাজন আছিল—তেওঁলোকৰ এইটো মুঠেই মনঃপুত নহ'ল। ৰজা ফুয়াদৰো নহ'ল। ইয়াৰ কেইমাহমান পিছত ১৯৩০ চনৰ জুন মাহত, ৰজাৰ লগত পালিয়ামেণ্টৰ বিৰোধ হ'ল। নাহাচ পাছাই প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিলে।

এই সুযোগতে ফুয়াদে আকৌ তেওঁৰ একাধিনায়কত্ব প্ৰতিষ্ঠা কৰিলে—তেওঁৰ ৰাজত্ব কালৰ ভিতৰত ই তৃতীয় বাৰৰ কাৰণে তেওঁৰ একাধিনায়কত্ব। পালিয়ামেণ্ট ভাঙি দিয়া হল; ওৱাফড্ দলৰ বাতৰি কাকত সমূহৰ প্ৰকাশ নিষিদ্ধ হৈ গ'ল—মুঠৰ ওপৰত বৰ দুৰ্দান্ত কঠোৰতাৰে তেওঁ তেওঁৰ একনায়কী শাসন চলাব ধৰিলে। পালিয়ামেণ্টৰ দুটি ভাগ চেম্বাৰ আৰু চিনেট, দুইভাগতেই প্ৰত্যেক জন সভ্যই চৰকাৰৰ আদেশ উপেক্ষা কৰি চলিব ধৰিলে, জোৰ কৰি পালিয়ামেণ্ট ভৱনত সোমাই তাত পালিয়ামেণ্টৰ এটি অধিবেশন কৰিলে। গাম্ভীৰ্যতাৰে তেওঁলোক সকলোৰেই শপত খালে; দেশৰ শাসনতন্ত্ৰৰ প্ৰতি তেওঁলোকৰ নিষ্ঠা অচল থাকিব, তেওঁলোকৰ সকলো শক্তি লৈ সেই শাসনতন্ত্ৰক অক্ষুন্ন ৰাখিবৰ কাৰণে তেওঁলোকে যুঁজিবলৈ প্ৰতিশ্ৰুতি দিলে; ১৯৩০ চনৰ ২৩ জুন তাৰিখে এই অধিবেশন হয়। দেশৰ সকলোতে বৰ বিক্ষোভ প্ৰদৰ্শন কৰা হ'ল; সৈন্যসকলে সেইবোৰ জোৰ কৰি ভাঙি দিলে, প্ৰচুৰ ৰক্তপাত হল। নাহাচ পাছা নিজেও আহত হ'ল। এনেদৰে বৃটিছ কৰ্মচাৰীসকলদ্বাৰা পৰিচালিত সৈন্য আৰু পুলিচ বাহিনীয়ে দেশৰ একনায়কী শাসনক জীয়াই ৰাখিলে। দেশৰ সকলো জনসাধাৰণ তেতিয়া ফুয়াদৰ ওপৰত বৰ ক্ৰোধান্বিত হৈ পৰিছে, তেওঁৰ পক্ষত আছে মাত্ৰ মুষ্টিমেয় কেইজনমান অভিজাত আৰু ধনী মানুহ—এওঁলোকে তেতিয়া ৰজাক আগুৰি আছে। কেৱল ওৱাফড্ দল নহয়, দেশৰ আন আন সকলো দলেও তেতিয়া এই একনায়কী শাসনৰ বিৰুদ্ধে প্ৰতিবাদ তুলিছে, নৰমপন্থী আৰু উদাৰ পন্থী সকলোৰেই যদিও ভাৰতবৰ্ষৰ দৰে মিছৰতো এওঁলোকে সাধাৰণ প্ৰজাৰ তৰফৰ-পৰা কোনো ধৰণৰ বিশেষ চোকা কাৰ্য-কলাপ চলোৱাৰ বিৰোধী বুলিয়েই নিজক পৰিচয় দিছিল।

আৰু কেইদিনমান পিছত, সেই ১৯৩০ চনৰ ভিতৰতেই, ৰজাই এখন ঘোষণা পত্ৰ প্ৰকাশ কৰিলে। ইয়াত নতুন এখন শাসনতন্ত্ৰ জাৰি কৰা হ'ল, তাত পালিয়া-মেণ্টৰ ক্ষমতা বহুটো কমাই ৰজাৰ নিজৰ ক্ষমতা বহুতো বঢ়াই দিয়া হ'ল। এনে ধৰণৰ কাম কৰিবলৈ বাধা অলপো নাছিল। কেৱল এখন ঘোষণা পত্ৰ জাৰি কৰি

দিয়া—বচ্—আৰু একো ভাবিব নালাগে—কাৰণ ৰজাৰ পিছত ক'লা ছায়ামূৰ্তিৰ বিভীষিকা লৈ থিয় হৈ আছে—সাম্ৰাজ্যবাদী বৃটেনৰ শক্তি।

১৯২২ চনৰপৰা ১৯৩০ চন ; মিছৰৰ এই ন বছৰৰ ইতিহাস মই তোমাক অলপ অচৰপ ক'লো , তাৰ কাৰণে, মোৰ এইটো এটা অদ্ভুত যেন লাগে। ১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত বৃটিছ কৰ্তৃপক্ষই যি ঘোষণা কৰিছিল তাৰ কথা অনুসৰি কব লাগিব—এই কেইটা বছৰেই আছিল মিছৰৰ 'স্বাধীনতা' ভোগৰ যুগ। মিছৰৰ লোকে নো নিজে কি বিচাৰিছিল ; সেই সম্বন্ধে কোনো সংশয় থাকিব নোৱাৰে। যেতিয়াই তেওঁলোকে মত প্ৰকাশ কৰিবলৈ সুযোগ পাইছে, মুছলমান আৰু কপ্ত বিচাৰ নকৰাকৈ দেশৰ অধিকাংশ প্ৰজাই ওৱাফড্ দলকেই তেওঁলোকৰ প্ৰতিনিধি বুলি নিৰ্বাচিত কৰি দিছে। কিন্তু তেওঁলোকৰ যি কাম্য আছিল, সি হৈছে বিদেশীসকলে বিশেষকৈ বৃটিছসকলে দেশ ধন শোষণ কৰিবৰ যি ক্ষমতা অধিকাৰ কৰি বহি আছিল তাক অলপ খৰ্ব কৰা। এতেকে এই সকলো কায়েমী স্বাৰ্থৰ মালিক বিদেশীসকলেও যিমান ৰকমে পাৰে তেওঁলোকৰ সেই কামত জোৰ কৰি বাধা দিছিল, অত্যাচাৰ কৰি, জাল জুৱাচুৰি কৰি, ষড়যন্ত্ৰ কৰি, দেশৰ সিংহাসনত তেওঁলোকে এনেদৰে এজন পুতলা ৰজাক বহুৱাই ৰাখিছিল, যি তেওঁলোকৰ আদেশৰ বাহিৰে এখোজো নলৰে।

ওৱাফড্ আন্দোলনটো চিৰদিন এটা নিভাঁজ জাতীয়তাবাদী বুৰ্জোৱাসকলৰ আন্দোলন হৈ আছে। জাতীয় স্বাধীনতাৰ কাৰণেই এওঁলোকে যুঁজ কৰিছে, সামাজিক সমস্যা যিবোৰ আছে সেইবোৰ বিষয়ত হাত দিয়া নাই। পাৰ্লিয়ামেণ্ট যেতিয়া চলি আছিল, তেতিয়া শিক্ষা আৰু অন্যান্য বিভাগত অলপ অচৰপ ভাল কাম কৰি গৈছে। প্ৰকৃততে জাতীয় আন্দোলন চলোৱাৰ ফাঁকে ফাঁকেও এই কম সময়বোৰৰ ভিতৰত পাৰ্লিয়ামেণ্টে এইফালে যিমান কাম দেখুৱাইছে, ইয়াৰ আগৰ চল্লিচ বছৰত বৃটিছ চৰকাৰে সিমান দেখুৱা নাই। কৃষক জনসাধাৰণৰ মন ওৱাফড্ দলৰ প্ৰতি অনুৰক্ত— নিৰ্বাচনবোৰৰ ফলাফল আৰু ডাঙৰ ডাঙৰ শোভাযাত্ৰাবোৰ দেখিলেই সেই কথা প্ৰমাণ হয়। কিন্তু তথাপি এই আন্দোলনটি প্ৰধানকৈ মধ্যবিত্ত শ্ৰেণীবোৰৰেই আন্দোলন। সামাজিক পৰিবৰ্ত্তন কামনা কৰি আন্দোলন চলালে তাৰ ফলত দেশৰ জনসাধাৰণ যিমানখিনি জাগি উঠিব পাৰে, এই আন্দোলনত সিমানখিনি হোৱা নাই।

এই চিঠিখন এইবাৰলৈ শেষ কৰিম ; কিন্তু তাৰ আগতে মিছৰৰ নাৰীসকলৰ আন্দোলনৰ কথা তোমাক কবই লাগিব। বোধহয় একমাত্ৰ খাচ আৰৱ দেশৰ বাহিৰে, আৰৱ অঞ্চলৰ সকলো দেশবোৰতেই নাৰীসকলৰ মাজত এটা অপূৰ্ব জাগৰণ আহিছিল। আন বহু কথাৰ দৰেই এই কালেদিও ইৰাক, চিৰিয়া, বা পেলেষ্টাইনৰ তুলনাত মিছৰ বহুদূৰ আগবাঢ়ি গৈছে। তথাপি কিন্তু ইয়াৰ প্ৰত্যেক খন দেশতেই নাৰীসকলৰ এটা সুসংহত আন্দোলন গঢ়ি উঠিছে, ১৯৩০ চনৰ জুলাই মাহত দামস্কচ চহৰত— 'আৰৱ নাৰী কংগ্ৰেছৰ' প্ৰথম অধিবেশন হৈ গৈছে। এওঁলোকে ৰাজনৈতিক প্ৰশ্নতকৈ সংস্কৃতি আৰু সমাজসম্বন্ধীয় প্ৰগতিৰ ওপৰতেই বেছি গুৰুত্ব দিছিল। মিচৰত নাৰীসকলে ৰাজনীতি লৈ এওঁলোকতকৈ অলপ

বেছি মনোযোগ দিয়ে। ৰাজনৈতিক শোভাযাত্ৰা আদিত এওঁলোকে যোগ দিয়ে, এটি বেছ শক্তিশালী নাৰীসকলৰ ভোটাধিকাৰ সংঘও এওঁলোকৰ আছে। এওঁলোকে দাবী কৰিছিল বিবাহৰ আইনক এনেদৰে সংস্কাৰ কৰা হওক যেন নাৰীসকলৰ অধিকাৰ তাত বাঢ়ি যায়, ব্যৱসায় আৰু চাকৰি আদিৰ ক্ষেত্ৰত নাৰীসকলক পুৰুষৰ সমান সুযোগ আৰু অধিকাৰ দিয়া হওক ইত্যাদি। এই বিষয়ত মুছলমান আৰু খ্ৰীষ্টান নাৰীসকলে পৰস্পৰৰ লগত পূৰ্ণসহযোগিতা কৰি ফুৰিছে। ওৰণি বা পৰ্দা প্ৰথা সকলোতে কমি গৈছে—বিশেষকৈ মিছৰত। তুৰস্কৰ দৰে ইয়াত ওৰণি প্ৰথা এতিয়া একেবাৰে উঠি যোৱা নাই—কিন্তু ক্ৰমে ই উঠি আহিব ধৰিছে।

মন্তব্য (অক্টোবৰ ১৯৩৮) :-

১৯৩০ চনৰ পৰা আৰম্ভ কৰি মিছৰ ৰাজপ্ৰসাদৰ পৰা নিয়ন্ত্ৰিত এক এক-নায়কত্ব চৰকাৰৰ অধীনত আছিল। কেৱল নামত ই সাৰ্বভৌম স্বাধীন ৰাষ্ট্ৰ" আছিল, কিন্তু প্ৰকৃততে ই গ্ৰেটবৃটেনৰ এটি উপনিৱেশৰ দৰে আছিল, কিয়নো কাইৰো আৰু আলেকজেণ্ড্ৰীয়াত বিদেশী সৈন্য (বৃটিছ) অধিকৃত দুৰ্গ আছিল, আৰু চুয়েজখাল আৰু চুদানৰ নিয়ন্ত্ৰণৰ ভাৰ আছিল বৃটেনৰ ওপৰত। এই কেইটা বছৰ বিশ্বজৰি অৰ্থনৈতিক সঙ্কটৰ সময় আছিল আৰু কপাহৰ মূল্য কমি যোৱাত মিছৰৰ দুখ কষ্টৰ অন্ত নাছিল।

১৯৩৫ চনত ফেচিষ্টপন্থী ইটালীয়ে আবিচিনিয়া আক্ৰমণ কৰিলে। এই ঘটনাত মিছৰ এক ডাঙৰ বিপদত পৰিল, লগে লগে নীলনদীৰ ওপৰৰ উপত্যকাত বৃটিছৰ স্বাৰ্থ হানি হোৱাৰ সম্ভাৱনাই দেখা দিলে। ইয়াৰ ফলত মিছৰ আৰু ইংলেণ্ডৰ পাৰস্পাৰিক সম্বন্ধ সলনি হৈ গল। শত্ৰুভাৱাপন্ন আৰু বিদ্ৰোহী মিছৰক এতিয়া পৰাধীন কৰি ৰখাটো ইংলেণ্ডে উচিত বিবেচনা নকৰিলে আৰু মিছৰৰ জনসাধাৰণে বৃটিছক মিত্ৰ স্বৰূপে গণ্য কৰিব ধৰিলে। পাৰ্লিয়ামেণ্টৰ নিৰ্বাচনত ওৱাফড্ দল জয়ী হ'ল আৰু নাহাচ পাছা প্ৰধানমন্ত্ৰী হ'ল। আবিচিনিয়াত ইতিমধ্যে আক্ৰমণৰ কাৰণে নতুন বা বতাহ (পৰিৱেশ) সৃষ্টি হোৱাত মিছৰ আৰু ইংলণ্ডৰ মাজত মিত্ৰতা স্থাপিত হ'ল আৰু ১৯৩৬ চনৰ আগষ্ট মাহত এটি সন্ধি হ'ল। আগতে মিছৰে যিখিনি পোৱাৰ কাৰণে দাবী জনাইছিল; শান্তিৰ কাৰণে তেওঁ-লোকে তাৰ বহুতখিনি এৰি দিবলৈ ৰাজী হ'ল আৰু ইয়াৰ কাৰণে সেই চুয়েজ-খালৰ ওপৰত ইংৰাজৰ আধিপত্য আৰু চুদানত ৰাজনৈতিক পৰিস্থিতি যিধৰণে আগতে আছিল তাকে চলিব দিবলৈ সন্মতি দিলে। তাৰ উপৰি মিছৰত ইয়াৰ পৰৰাষ্ট্ৰ নীতি ইংলেণ্ডৰ পৰৰাষ্ট্ৰ নীতিৰ অনুৰূপে চলিবলৈ স্বীকৃত হল। আনফালে ইংলেণ্ডে কাইৰো আৰু আলেকজেণ্ড্ৰীয়াৰ পৰা তেওঁলোকৰ সৈন্য আঁতৰাই আনিলে মিশ্ৰিত বিচাৰালয়বোৰ তুলি দিয়াৰ কাৰণে সহায় কৰিবলৈ আৰু মিছৰৰ জাতি সংঘত (League of Nations) প্ৰৱেশ সমৰ্থন কৰিবলৈ প্ৰতিশ্ৰুতি দিলে।

এই ব্যৱস্থাত বৰ উল্লাসৰ সৃষ্টি হ'ল কিন্তু এইবোৰ আমোদ উল্লাসৰ বাহ্যিক প্ৰদৰ্শনৰ সময় তেতিয়াও ঠিক অহা নাই। ৰজাৰ পৰিবৰ্ত্তন হলেও ৰাজপ্ৰাসাদে (অৰ্থাৎ ৰাজশক্তি) ওৱাফড্ দলক আগৰ দৰেই ঘৃণা কৰিব ধৰিলে আৰু ইয়াৰ

বিৰুদ্ধে ষড়যন্ত্র কৰিব ধৰিলে। আৰু কাপোৰৰ ।ৰ ফালে তেতিয়াও বৃটিছ সাম্ৰাজ্য-বাদেই কাম কৰিব ধৰিলে। সিংহলৰ ভূ-ভাগৰ বহুখিনি মুষ্টিমেয় কেইজনমান লোকৰ দখলত আৰু ৰাজপৰিয়ালতো ইয়াৰ প্রচুৰ অংশ আছে। এই জমিদাৰ-সকলে প্রগতিমূলক আইন প্রণয়নৰ আৰু গণশক্তিৰ অভ্যুত্থানৰ একান্ত বিৰোধী। সেয়ে লাহে লাহে সংঘর্ষ চলিব ধৰিলে—ৰজাই নাহাচ পাছাক পদচ্যুত কৰিলে আৰু পার্লিয়ামেণ্ট ভাঙি দিলে।

শাসনকার্য ৰাজপ্রাসাদৰ পৰা (অর্থাৎ ৰজাৰ দ্বাৰা) কিছুকাল চলাৰ পিছত নতুন নির্বাচনৰ অনুষ্ঠান হ'ল। ইয়াতে ওৱাফড্ দ'ল ৰবকৈ হাৰি গ'ল দেখি সকলোৰেই আচৰিত হ'ল। পিছত জনা গল যে, এই নির্বাচন এটা প্রকাণ্ড ভুৱা আছিল, আৰু ভোটগণনাৰ কাগজ-পত্র আদি মিছাকৈ লিখা হৈছিল। নাহাচ পাছাৰ নেতৃত্ব এতিয়াও বেছ জনপ্রিয় হৈ আছে—কিন্তু বর্তমান চৰকাৰ বৃটিছ সাম্রাজ্যবাদীসকলৰ সহায় লৈ ৰাজপ্রাসাদৰ পৰাই কেইজনমান ৰাজানুগ্রহ প্রাপ্ত লোকৰ দ্বাৰা পৰিচালিত হৈছে।

১৬৫

বিশ্ব-ৰাজনীতিৰ মঞ্চত পশ্চিম-এচিয়াৰ পুনঃ প্ৰৱেশ

২৫ মে, ১৯৩৩

এফালে মিছৰ আৰু আফ্ৰিকা আনফালে পশ্চিম এচিয়া, ইয়াৰ মাজত হৈছে কেৱল অতি সামান্য নীলা পানী। এই চুয়েজখাল পাৰ হৈ ব'লা, আৰব, পেলেষ্টাইন, চিৰিয়া আৰু ইৰাক চাই আহোঁ। এইবোৰ সকলো হৈছে আৰব অঞ্চলৰ দেশ। আৰু এইবোৰৰ অলপ পিছ্তে আছে পাৰস্য। পৃথিৱীৰ ইতিহাসত পশ্চিম এচিয়াৰ ঠাই নগন্য নহয়—বহুযুগত বহুবাৰ জগতৰ জীৱন চক্ৰ ইয়াক কেন্দ্ৰ কৰিয়েই ঘূৰি আছিল। তাৰ পিছ্ত আকৌ আহিল এটা অন্ধকাৰৰ যুগ, বহুত বছৰ ধৰি এই দেশখন পৃথিৱীৰ ৰাজনীতিৰ ক্ষেত্ৰৰপৰা দূৰত আঁতৰি থাকিল। এইটো হ'ল যেন সোঁত নথকা জলাশয়, বিশ্বজীৱনৰ খৰস্ৰোত ইয়াৰ ওচৰেদি খুব জোৰেৰে বব ধৰিলে, কিন্তু ইয়াৰ শান্ত স্থিৰ পানীত এটি ঢৌ তুলিবলৈ নোৱাৰিলে। তাৰ পাছ্ত আকৌ আমি ইয়াৰ ৰূপৰ পৰিৱৰ্তন দেখিবলৈ পাইছোঁ, মধ্য-প্ৰাচ্যৰ এই দেশবোৰ আকৌ পৃথিৱীৰ জীৱন সোঁতৰ পাকত আহি পৰিছে, প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ মাজত যাতায়তৰ ৰাজপথ আকৌ ইয়াৰ বুকুৰ ওপৰেদি তৈয়াৰ হৈছে। এই বস্তুটো আমি ভাল কৰি চাই লোৱা দৰকাৰ।

পশ্চিম এচিয়াৰ কথা ভাবিব গলেই মোৰ মন পুৰণি দিনৰ অৰণ্যত হেৰাই যায়—পুৰণি সেইদিনৰ সেই সকলোবোৰৰ কথা আৰু ছবি মোৰ মনত জাগি উঠে, তাৰ মোহ এৰা মোৰ পক্ষে দুঃসাধ্য হৈ পৰে। এইবোৰ যিমান সম্ভৱ পাৰি এৰাই চলিবলৈ মই চেষ্টা কৰিম, তথাপি আৰু এটি কথা আৰু এবাৰ তোমাক সোঁৱৰাই দিছোঁ, সেইটো হৈছে পৃথিৱীৰ এই ভাগৰ মৰ্যাদাৰ কথা। হাজাৰ হাজাৰ বছৰ ধৰি মানৱ জাতিৰ ইতিহাসত একেবাৰে আৰম্ভৰ পৰাই এই দেশখনে পৃথিৱীৰ ভিতৰত এক অপূৰ্ব সন্মানৰ স্থান অধিকাৰ কৰি আহিছে। সাত হাজাৰ বছৰ আগৰ ইতিহাসতো পুৰণি চালডীয়া ৰাজ্যৰ অস্পষ্ট উল্লেখ পোৱা যায় (এই ৰাজ্যখন য'ত আছিল, সেই ঠাইতে আধুনিক ইৰাক অৱস্থিত)। তাৰ পাছ্ত আহিল বেবিলন—বেবিলনীয়সকলৰ পিছ্ত আহিল নিষ্ঠুৰ আচিৰীয়সকলৰ যুগ, এওঁলোকৰ ৰাজধানী আছিল বিশাল নিনেভ চহৰ। তাৰ পিছ্ত সেই আচিৰীয়সকলো হেচাঁ পাই আঁতৰি গ'ল, পাৰস্যৰ পৰা এটি নতুন ৰাজবংশ, নতুন জাতি আহি ভাৰতবৰ্ষৰ সীমান্তৰ পৰা আৰম্ভ কৰি মিছৰলৈকে সমগ্ৰ মধ্য প্ৰাচ্য অঞ্চল জুৰি তেওঁলোকৰ প্ৰভুত্ব প্ৰতিষ্ঠিত

কৰিলে। এওঁলোক হৈছে পাৰস্যৰ 'আকিমেনিড' ৰাজপৰিয়াল, এওঁলোকৰ ৰাজধানী আছিল পাৰ্চিপলিচ। এই দেশতে জন্ম গ্ৰহণ কৰিছিল শ্ৰেষ্ঠ ৰজাসকল: কাইৰাচ, দাৰিয়ুচ, জাৰক্‌চেচ—এওঁলোকে সকো ৰাজা গ্ৰীচক জয় কৰিবলৈ চেষ্টা কৰিলে কিন্তু নোৱাৰিলে। এওঁলোকৰ আকৌ পতন হ'ল—যাৰ হাতত তেওঁ আছি গ্ৰীচৰেই সন্তান, ঠিক গ্ৰীচৰ নহয়—চেচিডনিয়াৰ সন্তান আলেকজেণ্ডাৰ। আলেকজেণ্ডাৰৰ জীৱনৰ এটি বিচিত্ৰ কাহিনী আছে, এচিয়া আৰু ইয়ুৰোপৰ এই মিলন ক্ষেত্ৰত উপস্থিত হৈ তেওঁ এটি অভিনৱ পৰিকল্পনা প্ৰকাশ কৰিলে, ক'লে—এই দুয়ো মহাদেশৰ বিয়া পাতিব। তেওঁ নিজে পাৰস্যৰ ৰজাৰ কন্যাক বিয়া কৰালে (অৱশ্যে তেওঁৰ আৰু কেইগৰাকীমান বৈণীয়েক তেতিয়াও বৰ্তমান আছিল); তেওঁৰ সৈন্যাধ্যক্ষ আৰু সৈনিকসকলৰ ভিতৰতো হাজাৰ হাজাৰ লোকে পাৰ্চী ছোৱালী বিয়া কৰালে।

আলেকজেণ্ডাৰে মধ্যপ্ৰাচ্যত গ্ৰীক সংস্কৃতি প্ৰতিষ্ঠা কৰিলে, বহু শতাব্দী ধৰি ভাৰতৰ সীমাৰপৰা মিছৰলৈকে গোটেই দেশ জুৰি, সেই সংস্কৃতিৰ প্ৰভাৱ অক্ষুন্ন হৈ থাকিল। এই সময়তে ৰোমৰ শক্তিৰো অভ্যুত্থান হ'ল, লাহে লাহে সেই শক্তি এচিয়াৰ ফালে প্ৰচাৰিত হ'ল। তাৰ বিস্তাৰত বাধা দিলে এটি নৱজাত পাৰস্য সাম্ৰাজ্যই—চচানিদ ৰজাসকলৰ সাম্ৰাজ্য। ৰোম সাম্ৰাজ্য যিখন আছিল সেইখনেই ভাঙি দুটুকুৰা হৈ গ'ল, প্ৰাচ্য আৰু পাশ্চাত্য সাম্ৰাজ্য হ'ল এইবোৰৰ নাম। কালক্ৰমত এই প্ৰাচ্য সাম্ৰাজ্যৰ ৰাজধানী হ'ল কনষ্টাণ্টিনোপল। প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত পুৰণি কালৰপৰাই সংগ্ৰাম চলি আছে, পশ্চিম এচিয়াৰ সমভূমিতো সেই সংগ্ৰাম চলিব ধৰিলে। এই যুদ্ধৰ প্ৰধান দুটা পক্ষ আছিল, এই কনষ্টাণ্টিনোপলৰ বাইজানটিনা সাম্ৰাজ্য আৰু পাৰস্যৰ চচানিদ সাম্ৰাজ্য। আৰু এই গোটেই যুগ ধৰিয়েই ডাঙৰ ডাঙৰ বেপাৰীৰ দল উটৰ পিঠিত বস্তু বোজাই দি এই সমভূমি অতিক্ৰম কৰি প্ৰাচ্যৰপৰা পাশ্চাত্য আৰু পাশ্চাত্যৰপৰা প্ৰাচ্য দেশলৈ যাতায়ত কৰিব ধৰিলে, কাৰণ মধ্য প্ৰাচ্যৰ এই অঞ্চলটি আছিল তেতিয়াৰ দিনত পৃথিৱীৰ ডাঙৰ ডাঙৰ যাত্ৰাপথৰ অন্যতম।

পশ্চিম-এচিয়াৰ এই দেশত জগতৰ তিনটা প্ৰধান মতৰ জন্ম হৈছে—জুডাধৰ্ম (অৰ্থাৎ ইহুদীসকলৰ ধৰ্ম), জৰথুষ্ট্ৰীয় ধৰ্ম (আধুনিক পাৰ্চীসকলে যি ধৰ্মমত মতে চলে) আৰু খ্ৰীষ্টান ধৰ্ম। এইবাৰ আৰবৰ মৰুভূমিত চতুৰ্থ এটি ধৰ্মমতৰ সৃষ্টি হ'ল আৰু অলপ দিনৰ ভিতৰতে পৃথিৱীৰ এই ভাগত ই আগৰ ধৰ্মবিলাকক তল পেলাই ডাঙৰ হৈ উঠিল তাৰ পাছত আহিল বাগদাদৰ আৰব সাম্ৰাজ্য, প্ৰাচ্য-পাশ্চাত্যৰ পুৰণি যুদ্ধখনেও এইবাৰ নতুন ৰূপ গ্ৰহণ কৰিলে—এইবাৰ যুদ্ধ আৰবসকলৰ লগত বাইজানটিনাৰ। বহুদিন অতি উন্নত আৰু উজ্জ্বল সংহতি স্থাপন কৰাৰ পিছত আৰব সভ্যতা ভাঙি পৰিল চেলজুক তুৰ্কীসকলৰ আগমনত, শেষলৈকে চেঙ্গিছখাঁৰ পিছত অহা মোগলসকলৰ হাতত সেই সভ্যতা একেবাৰেই ধ্বংস হৈ গ'ল।

মোগলসকল অহাৰ আগতে কিন্তু এচিয়াৰ পশ্চিম সমুদ্ৰকুলত পাশ্চাত্য দেশৰ


পশ্চিম এচিয়াৰ পুনৰ্জাগৰণ
দিল্লী
ভাৰতবৰ্ষ
এলাহাবাদ
মাদ্ৰাজ
বোম্বাই
কৰাচী
তেহৰাণ
পাৰস্য
বাগদাদ
বাহৰিণ
চৌদি আৰব
মদিনা
মক্কা
আলেকজান্দ্ৰিয়া
কায়ৰো
ৰেলপথ
বিমান পথ

খ্ৰীষ্টান আৰু প্ৰাচ্য জগতৰ মুছলমানসকলৰ মাজত এখন দুৰ্যোৰ সংগ্ৰাম আৰম্ভ হৈ গৈছিল। এই যুদ্ধৰ নামেই ক্ৰুচেড্, কেতিয়াবা হয়, কেতিয়াবা বন্ধ হয়, এনেদৰে এই যুদ্ধ সম্পূৰ্ণ আঢ়ৈ শ বছৰ জুৰি চলিব ধৰিলে. প্ৰায় ত্ৰয়োদশ শতাব্দীলৈকে ইয়াৰ জোৰ চলিল। এই ক্ৰুচেডক বোলা হয় ধৰ্মযুদ্ধ আৰু বাস্তৱিকে ই সেয়েই আছিল। কিন্তু তথাপি ধৰ্ম এই যুদ্ধৰ কাৰণ নহয়, উপলক্ষ্য মাত্ৰ। তেতিয়াৰ দিনত প্ৰাচ্য জগতৰ তুলনাত য়ুৰোপৰ লোকসকল বহুত পিচ পৰি আছিল, ইয়ুৰোপৰ সেইটো অন্ধকাৰ যুগ। কিন্তু ইয়ুৰোপ তেতিয়া জাগি উঠিছে, প্ৰাচ্য জগতৰ প্ৰতি এই আকৰ্ষণে নানা ৰূপে আত্মপ্ৰকাশ কৰিছিল। তাৰ ভিতৰত এই ক্ৰুচেডেই আছিল সকলোতকৈ গুৰুত্বৰ। এই যুদ্ধৰ ফলত পশ্চিম এচিয়াৰ দেশ সমূহৰপৰা ইউৰোপে বহুত কথা শিকি ললে। শিকিলে বহুতো সুকুমাৰকলা, শিল্প-কলা আৰু বিলাসৰ বহু প্ৰণালী, তাতকৈও ডাঙৰ কথা শিকিলে কাম আৰু চিন্তাৰ বহুতো বৈজ্ঞানিক ধাৰা আৰু পদ্ধতি।

ক্ৰুচেড্ অলপতে শেষ হৈছে কি নাই হোৱা এনে সময়তে মোগলসকল আহি বানপানীৰ দৰে বিয়পি পৰিল পশ্চিম এচিয়াৰ ওপৰত, লগত লৈ আহিল সংহাৰ মূৰ্তি। তথাপি কিন্তু মোগলসকলক কেৱল ধ্বংসৰ পূজাৰী বুলি ধৰিলেই আমাৰ ভুল হ'ব। চীনৰপৰা ৰুচিয়ালৈকে যি বিৰাট অভিযান তেওঁলোকে চলাই-ছিল তাৰ ফলতেই বহুতো দূৰণিৰ দেশৰ মানুহৰ এক সমন্বয় ঘটিছিল, বাণিজ্যৰ প্ৰসাৰ বাঢ়ি গৈছিল আৰু মানুহৰ সৈতে মানুহৰ মিলনো বাঢ়ি গৈছিল। এওঁলোকে যি বিশাল সাম্ৰাজ্য স্থাপন কৰিবলে তাৰ সমানত যাত্ৰীৰ আহযাহৰ পুৰণি পথবোৰ আৰু বিপদ শঙ্কুল হৈ নাথাকিল, যাত্ৰীসকলে সেই পথেদি নিৰাপদে নিৰ্ভয়ে অহা-যোৱা কৰিব ধৰিলে—কেৱল সদাগৰসকল নহয় কূটনৈতিক ৰাষ্ট্ৰদূত, ধৰ্ম প্ৰচাৰক আদি সকলো প্ৰকাৰৰ মানুহেই সেই পথেদি দীঘলীয়া যাত্ৰা আৰম্ভ কৰিলে। পুৰণি জগতৰ এই সকলো ৰাজপথবোৰ গৈছে মধ্য প্ৰাচ্যৰ একেবাৰে বুকুৰ ওপৰেদি। সেই অঞ্চল হৈ পৰিল এচিয়া আৰু য়ুৰোপৰ মাজৰ যোগসূত্ৰ।

তোমাৰ হয়তো মনত পৰিব, এই মোগল সকলৰ সময়তেই মাৰ্কপ'লো তেওঁৰ নিজৰ দেশ ভেনিচৰপৰা গোটেই এচিয়া অতিক্ৰম কৰি চীনলৈ গৈছিল। তেওঁ লিখা এখন পুথি আছে, তেওঁ লেখা অৱশ্যে ঠিক নহয়, তেওঁ কৈ গৈছিল, আৰু আনলোকে লেখিছিল। এই পুথিত তেওঁ তেওঁৰ ভ্ৰমণৰ কাহিনী কৈছে—ইয়াৰ কাৰণেই আমিও তেওঁৰ নাম জানিছোঁ। কিন্তু আৰু বহুতো লোকে নিশ্চয় এই ধৰণৰ দীৰ্ঘ পথ ভ্ৰমণ কৰিছিল, কিন্তু সেই ভ্ৰমণৰ কথা তেওঁলোকে লেখি থৈ যোৱা নাই বা লেখিলেও হয়তো সেই পুথি লোপ পাই গৈছে; কাৰণ সেই যুগত পুথি হাতেৰেই লেখি ৰখা হৈছিল। মানৱৰম্ভ লৈ সদাগৰ আৰু যাত্ৰীসকলে সকলো সময়তে এখন দেশৰপৰা অন্য দেশলৈ অহা-যোৱা কৰিছিল, সেই যাতায়তৰ প্ৰধান উদ্দেশ্য আছিল বাণিজ্য। কিন্তু ভাগ্য আৰু দুঃসাহসিক অভিযানৰ অন্বেষণতো বহুতো লোক সেই সদাগৰসকলৰ লগত গৈছিল। পুৰণি কালত আৰু এজন বৰ ডাঙৰ ভ্ৰমণকাৰীৰ নাম মাৰ্কপ'লোৰ দৰেই জনাজাত হৈ আছে। এওঁৰ নাম হৈছে ইবন বতুতা। জাতিত আৰৱ, মৰক্কোৰ ভিতৰৰ

গান্ধিয়াৰ চহৰত চতুৰ্দশ শতাব্দীৰ প্ৰথম ভাগত এওঁৰ জন্ম হয়। এতেকে তেওঁ আছিল মাৰ্কপ'লোৰ ঠিক এক পুৰুষ পিছৰ মানুহ। বিশাল জগতৰ বুকুত তেওঁৰ এই বিচিত্ৰ ভ্ৰমণত যিদিনা তেওঁ প্ৰথম বাহিৰ হ'ল, তেতিয়া তেওঁ মাত্ৰ একৈশ বছৰৰ চফল ডেকা, পথৰ সম্বল বুলিবলৈ তেওঁৰ আছিল কেৱল নিজৰ তীক্ষ্ণ বুদ্ধি, আৰু আছিল এজন মুছলমান কাজী বা ধৰ্ম উপদেষ্টাৰ নিয়োগ। মৰক্কোৰপৰা তেওঁ পোনপটীয়াভাৱে উত্তৰ আফ্ৰিকা পাৰ হৈ পালেহি মিছৰ, তাৰপৰা গ'ল আৰব, চিৰিয়া, পাৰস্যলৈ তাৰ পিছত গ'ল আনাতোলিনিয়াত (তুৰস্ক) তাৰ পিছত দক্ষিণ ৰুচিয়া, (তেতিয়া সেই দেশত মোগল বংশৰ খলিফাৰ ৰাজত্ব) তাৰপিছত কনষ্টাণ্টিনোপল (সেইখন তেতিয়া বাইজানটিনা সাম্ৰাজ্যৰ ৰাজধানী), তাৰপৰা মধ্য এচিয়ালৈ আৰু ভাৰতবৰ্ষলৈ। ভাৰতবৰ্ষৰ উত্তৰৰপৰা দক্ষিণলৈ বুলি তেওঁ গ'ল মালবাৰ আৰু লঙ্কালৈ—তাৰপৰা চীনলৈ। উভটিবৰ সময়ত আফ্ৰিকাৰ ভিতৰত ইতস্তত: কৰি ঘূৰি ফুৰিলে, চাহাৰা মৰুভূমিলৈ গ'ল। আজিকালিৰ দিনত আমাৰ যান-বাহানৰ কিমান ৰকমৰ সুবিধা, তথাপি এই যুগৰ এনেধৰণৰ ভ্ৰমণকাৰীৰ কাহিনীয়ে ফেৰ মৰা টান। চতুৰ্দশ শতাব্দীৰ প্ৰায় আধালৈকে পৃথিৱীৰ অৱস্থা ক'ত কি ধৰণৰ আছিল তাৰ বিস্ময়কৰ বিৱৰণ আছে এই ভ্ৰমণকাৰীৰ ভিতৰত; তেতিয়াৰ দিনত দেশ ভ্ৰমণ যে কিমান সাধাৰণ কথা আছিল তাৰো প্ৰমাণ এই কাহিনীৰ পৰাই পোৱা যায় আৰু যিয়েই হওক, পৃথিৱীত আজিলৈকে যি কেইজন অতি ডাঙৰ ভ্ৰমণকাৰীৰ আবিৰ্ভাৱ হৈছে, ইবন বতুতাৰ নাম তেওঁলোকৰ ভিতৰত ধৰিবই লাগিব।

ইবন বতুতাৰ কিতাপত তেওঁ যিবোৰ জাতি আৰু দেশ দেখিছিল, তেওঁলোকৰ সম্বন্ধে বৰ সুন্দৰভাৱে সকলো তথ্য লেখি গৈছে। মিছৰ তেতিয়া সমৃদ্ধিশালী দেশ কাৰণ পাশ্চাত্য জগতৰ লগত ভাৰতবৰ্ষৰ যিমান বেহা-বেপাৰ সকলো তেতিয়া চলিছিল মিছৰৰ বাটেদি, ইয়াৰ পক্ষে এইটো আছিল এটা বৰ ডাঙৰ লাভৰ কথা। সেই লাভৰ টকাত তেওঁলোকে কাইৰোক বৰ ডাঙৰ চহৰ কৰি গঢ়ি তুলিলে, সুন্দৰ সুন্দৰ স্মৃতিস্তম্ভৰে ইয়াক সজোৱা হ'ল। ভাৰতবৰ্ষৰ জাতিভেদ প্ৰথা, সতীদাহ, অতিথিক পান-তামোল দি অভ্যৰ্থনা কৰাৰ প্ৰথা—ইয়াৰ সকলো কামকে ইবন বতুতাই তেওঁৰ পুথিত লেখি গৈছে। তেওঁৰ পুথিৰ পৰাই জানিব পাৰি তেতিয়াৰ ভাৰতৰ সদাগৰসকলে বিদেশৰ বন্দৰে বন্দৰে বৰ ডাঙৰ বেহা-বেপাৰ চলাইছিল, পৃথিৱীৰ সাগৰে সাগৰে ভাৰতৰ বাণিজ্য জাহাজ চলাচল কৰিছিল। ক'ত ক'ত তেওঁ ধুনীয়া মাইকী মানুহ দেখিছে, তেওঁলোকে কি ধৰণৰ কাপোৰ পিন্ধে, কেনে ৰকমৰ সুগন্ধি আৰু অলঙ্কাৰ ব্যৱহাৰ কৰে, তাৰ বিৱৰণ তেওঁ সূক্ষ্মভাৱে কৰি চাইছিল আৰু লিখি গৈছিল। দিল্লী চহৰৰ বৰ্ণনা কৰিবলৈ গৈ কৈছে, দিল্লী হৈছে, "ভাৰতবৰ্ষৰ প্ৰাণ কেন্দ্ৰ। যিমান বিশাল, ইয়াৰ আয়তন সিমানেই জকমকীয়া ইয়াৰ সমৃদ্ধি, সৌন্দৰ্য আৰু শক্তিৰ মাজত এক মহামিলন ঘটিছে।" ভাৰতবৰ্ষত তেতিয়া বলিয়া চুলতান মহম্মদ টোগলকে ৰাজত্ব কৰিছিল। হঠাৎ খঙৰ বেগত তেওঁ তেওঁৰ ৰাজধানী দিল্লীৰপৰা আঁতৰাই লৈ গ'ল দক্ষিণ ভাৰতৰ দৌলতাবাদ চহৰলৈ, তাৰফলত এই বিশাল আৰু জাকজমকীয়া চহৰখন পৰিণত হ'ল এখন মৰুভূমিত—"শূন্য আৰু মানুহৰ বসতি নোহোৱা দুই চাৰিজন মাখোন ভাত বাস কৰিছে।" সেই দুই চাৰিজন মানুহেও অতি ভয়ে ভয়ে চহৰত আহি সোমাইছিল বহুদিনৰ পিছত।

দেখিছা, ইবন বতুতাৰ কথা কৈ কৈ আচল কথাটো এৰি আহিছোঁ। পুৰণি কালৰ এই ভ্ৰমণকাৰীবোৰে মোক বৰ মুগ্ধ কৰে।

বাৰু সেইবোৰ যাওক। এইটো দেখা গ'ল যে চতুৰ্দশ শতাব্দীলৈকে এই মধ্য প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ মাজত এইটোৱেই আছিল প্ৰধান যোগসূত্ৰ। ইয়াৰ পিচৰ এশ বছৰত অৱস্থাৰ পৰিৱৰ্ত্তন হ'ল। অটোমান তুৰ্কীয়ে কনষ্টাণ্টিনোপল দখল কৰিলে, মিছৰো বাদ নপৰিল। দুই মহাদেশৰ মাজত যি বাণিজ্য চলিছিল, এওঁলোক তাৰ মুঠেই পক্ষপাতী নাছিল। তাৰ এটা কাৰণ হ'ল, এই বেহা-বেপাৰ প্ৰধানকৈ চলাইছিল ভিয়েনা আৰু জেনোৱাৰ অধিবাসীসকলে, ভূমধ্য সাগৰত এওঁলোকেই আছিল তুৰ্কীসকলৰ প্ৰতিদ্বন্দ্বী। আৰু বাণিজ্যত তেতিয়া নতুন পথেৰে চলা আৰম্ভ কৰিছে, য়ুৰোপৰপৰা এচিয়ালৈ অহাৰ নতুন সকলো সমুদ্ৰৰ পথ মুকলি কৰা হৈছে, আগৰ দিনত বাণিজ্য চলিছিল উটৰ পিঠিত সদাগৰসকলৰ যাবা খলপথেদি এতিয়া তাৰ ঠাই দখল কৰিছে এই সমুদ্ৰ পথে। পশ্চিম এচিয়াৰ ওপৰেদি যি স্থলপথ আছিল, হাজাৰ হাজাৰ বছৰ ধৰি সেই পথে মানুহৰ আশাৰ সাধন কৰিছে। এতিয়া সেই পথেৰে মানুহৰ আহ-যাহ বন্ধ হৈ গ'ল যি দেশৰ মাজেৰে সেই পথে গৈছে, জগতৰ ৰঙ্গমঞ্চত তাৰ স্থান আৰু জনসাধাৰণৰ চকুৰ আগত নাথাকিল।

প্ৰায় চাৰিশ বছৰ জুৰি ষোড়শ শতাব্দীৰ প্ৰথম ভাগৰপৰা আৰম্ভ কৰি উনৈশ শতাব্দীৰ শেষলৈকে সমুদ্ৰপথবিলাকেই হ'ল পৃথিৱীৰ প্ৰধান পথ, খলপথৰ তুলনাত এইবোৰেই গৌৰব আৰু মৰ্যদা পালে বহুত বেছি, বিশেষকৈ য'ত ৰেলপথ নাছিল। পশ্চিম এচিয়াত ৰেলপথ নাছিল। বিশ্বযুদ্ধ লগাৰ অলপ কেইদিনমান আগতে প্ৰস্তাব উঠিল কনষ্টাণ্টিনোপলৰপৰা বাগদাদলৈকে এটি ৰেলৰ লাইন তৈয়াৰ কৰা হব। এই প্ৰস্তাৱৰ পিছত আছিল জাৰ্মাণ চৰকাৰ। জাৰ্মাণসকলে এই ৰেলপথ তৈয়াৰ কৰিব ধৰিছে শুনি আন আন দেশবোৰ ঈৰ্ষাত জ্বলি-পুৰি মৰিব ধৰিলে, কাৰণ ইয়াৰ ফলত মধ্যপ্ৰাচ্যত জাৰ্মাণৰ প্ৰভাৱ প্ৰতিপত্তি বহুতো বাঢ়ি যাব। ইতিমধ্যে যুদ্ধ লাগিল, সেই ৰেলৰ লাইন আৰু তৈয়াৰী নহ'ল।

১৯১৮ চনত যুদ্ধ শেষ হ'ল। পশ্চিম এচিয়াত তেতিয়া বৃটেনেই সৰ্ব্বেসৰ্বা। তেতিয়া কিছুদিন বৃটিছ ৰাজনীতিবিদসকলৰ চকুও জকমকাই উঠিছিল, ভাৰতবৰ্ষৰপৰা তুৰস্কলৈ বিস্তৃত বিশাল এখন মধ্যপ্ৰাচ্যদেশী সাম্ৰাজ্যৰ সপোনো দেখিছিল তেওঁলোকে। সেইটো অৱশ্যে হৈ নুঠিল। বলচেভিক ৰুচিয়া, কামাল পাছা আৰু বহুতো কথাৰ হেঁচাত বৃটেনৰ সেই স্বপ্ন ভাঙি গ'ল। তেতিয়াও কিন্তু বৃটেইনে ইয়াৰ বহুখিনি ঠাই হাত কৰি ৰাখিলে। ইৰাক পেলেষ্টাইন, বৃটেইনৰ প্ৰভাৱাধীন বা নিয়ন্ত্ৰনাধীন হৈ থাকিল। সাম্ৰাজ্য প্ৰতিষ্ঠাৰ সেই বিৰাট কামনা তাৰ পূৰ্ণ নহ'ল, তথাপি কিন্তু বৃটেইনে এতিয়াও ইয়াৰ সেই পুৰণি দিনৰ নীতিটো অক্ষুণ্ণ ৰাখিছে— ভাৰতবৰ্ষলৈ অহা সকলো পথ আৰু প্ৰণালী এতিয়াও তেওঁলোকেই হাতৰ মুঠিত সম্পূৰ্ণ ৰাখিছে। মনত এই উদ্দেশ্য আছিল বুলিয়েই যুদ্ধৰ সময়ত বৃটিছ সৈন্য মেচোপটেমীয়া আৰু পেলেষ্টাইনলৈ গৈ যুদ্ধ কৰিছিল; তুৰ্কীসকলৰ বিৰুদ্ধে বিদ্ৰোহ

কৰিবলৈ আৰবসকলক সহায় কৰিছে। ইয়াৰ কাৰণেই যুদ্ধৰ পিছত মুচলৰ কথা লৈ ইংলেণ্ড আৰু তুৰস্কৰ মাজত বৰ বিবাদ হৈছিল। ইংলেণ্ড আৰু চোভিয়েট ৰাচিয়াৰ মাজত যে ইমান মনৰ অমিল তাৰো এটা প্ৰধান কাৰণ হৈছে এইটোৱেই ভাৰতবৰ্ষলৈ অহাৰ বাটত দেৱালৰ ওপৰত ভৰি ওলোমাই বহি থাকিব ৰুচিয়াৰ দৰে এখন শক্তিশালী দেশ—এইটো ভাবিয়েই বৃটেনৰ গা বেজবেজাই যায়।

বাগদাদ ৰেলৱে আৰু হেজাজ ৰেলৱে—এই দুটা ৰেলৰ লাইন তৈয়াৰ কৰিবলৈ যুদ্ধৰ আগতে বহুতো হাঁই-কাজিয়া লাগিছিল। লাইন দুটা এতিয়া তৈয়াৰ হৈ গৈছে। বাগদাদ ৰেলৱেৰে বাগদাদ চহৰৰ ভূমধ্য সাগৰ আৰু য়ুৰোপৰ লগত সংযুক্ত কৰা হৈছে। হেজাজ ৰেলৱেৰে আৰবসকলৰ মদিনা চহৰৰপৰা আহি আলেপ্পোত বাগদাদ ৰেলৱেৰ লগত যোগ হৈছে (আৰব দেশৰ মাজত হেজাজৰ গুৰুত্ব হৈছে সকলোতকৈ বেছি, কাৰণ মক্কা আৰু মদিনা, মুছলমানসকলৰ এই দুয়োখন তীৰ্থস্থানেই এই অঞ্চলৰ অন্তৰ্গত)। সেই কাৰণেই দেখা গৈছে, ৰেলপথ তৈয়াৰী হোৱাৰ ফলত পশ্চিম এচিয়াৰ বহুতো ডাঙৰ ডাঙৰ চহৰেই এতিয়া য়ুৰোপ আৰু মিছৰৰ লগত সংযুক্ত হৈছে, তাৰপৰা সহজেই এইবোৰ চহৰলৈ অহা যায়। আলেপ্পো চহৰখন লাহে লাহে এটি প্ৰকাণ্ড ৰেলৱে জংচনত পৰিণত হৈছে; তিনিখন মহাদেশৰ ৰেলপথ ইয়াত আহি যোগ হব;—এটা পথ আহিব য়ুৰোপৰপৰা, এটা আহিব এচিয়াৰপৰা বাগদাদ হৈ, আৰু এটা আহিব আফ্ৰিকাৰপৰা কাইৰো হৈ। এচিয়াৰ পথটোক যদি বাগদাদৰ পিচতো আৰু বঢ়াই দিয়া হয়, তেন্তে হয়তো সি একেবাৰে ভাৰতবৰ্ষলৈকে আহিব পাৰিব। আফ্ৰিকাৰ পথটোৰ সমন্ধে মুখিয়ালসকলৰ ইচ্ছা, সেইটোক কাইৰোৰ পৰা গোটেই আফ্ৰিকা মহাদেশ পাৰহৈ একেবাৰে সুদূৰ দক্ষিণ প্ৰান্তত কেপটাউনলৈকে পৌছাই দিয়া। কেপৰপৰা কাইৰোলৈ বিস্তৃত এই 'ৰঙা' লাইনটো তৈয়াৰ কৰা ইয়াৰ স্বপ্ন বৃটিছ সাম্ৰাজ্যবাসীসকলে বহুদিন ধৰি দেখি আহিছে; এইবাৰ সেই স্বপ্ন ফলিয়াবৰ আশাও বহুখিনি দেখা গৈছে। ইয়াক 'ৰঙা' বুলিলো তাৰ কাৰণ—দীঘলীয়া পথৰ আগৰ পৰা গুৰিলৈকে এই পথটি যাব বৃটিছৰ অধীকৃত অঞ্চলৰ মাজেদি, বৃটিছ সাম্ৰাজ্যৰ ছবিখনেই কেবল ৰঙা ৰঙেৰে ছপা কৰা হয়।

ভৱিষ্যতত কিন্তু এই গোটেই সংকল্প কামত পৰিণত হব পাৰে নহবও পাৰে —ৰেলৱেৰ এতিয়া দুটি প্ৰবল প্ৰতিদ্বন্দী যান-বাহনৰ আবিৰ্ভাৱ হৈছে—মটৰ গাড়ী আৰু এৰোপ্লেন। ইতিমধ্যে এই কথাটো মনত ৰাখিব লাগিব—বাগদাদ আৰু হেজাজ লাইন, পশ্চিম এচিয়াৰ এই দুটি নতুন ৰেলৱেৰেই কৰ্তৃত্ব বেচি ভাগ বৃটিছ-সকলৰ হাতত আছে, বৃটিছৰ নীতি আছিল, নিজৰ আয়ত্বত থকা ভাৰতবৰ্ষলৈ যোৱাৰ এটা নতুন সংক্ষিপ্ত পথ তৈয়াৰ কৰি লোৱা, সেই নীতি এওঁলোকেই সফল কৰি তুলিছে। বাগদাদ ৰেলৱে কিছু পৰিমাণে গৈছে চিৰিয়াৰ মাজেদি। চিৰিয়া আছিল ফৰাচীসকলৰ হাতত। ফৰাচীসকলৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি থকাতো বৃটিছ-সকলৰ মনঃপুত নহয়, তেওঁলোকৰ ইচ্ছা ইয়াৰ সলনি পেলেষ্টাইনৰ মাজেদি তেওঁলোকে নিজে এটি লাইন খুলিব। আৰবতো সৰু এটি ৰেলৰ লাইন খোলা হৈছে, এইটো

লোহিত সাগৰৰ পাৰত থকা বন্দৰ জেড্ডাৰপৰা মক্কালৈকে যাব। প্ৰতিবছৰে হাজাৰ হাজৰ তীৰ্থ যাত্ৰী মক্কালৈ যায়, তেওঁলোকৰ বৰ সুবিধা হ'ব।

ৰেলপথৰ যোগেদি পশ্চিম এচিয়াৰ এই দেশবোৰৰ লগত বাহিৰৰ জগতৰ যোগাযোগ স্থাপিত হৈছে। ই গ'ল সেই ৰেলপথৰ কথা। যি কামৰ কাৰণে ইয়াৰ সৃষ্টি সেই কাম এতিয়াও হৈ উঠা নাই, তথাপি কিন্তু ইয়াৰ ভিতৰতে ৰেলৰেৰ উপকাৰিতা কিছুপৰিমাণে কমি গৈছে, ইয়াক পিচ পেলাই তাৰ ঠাইত আহি দখল কৰিছে মটৰগাড়ী আৰু আকাশী জাহাজে। মৰুভূমিৰ বাটত যোৱাত মটৰগাড়ীত অকলে কষ্ট নাই, যাত্ৰীসকলৰ যিসকলে ভাবিৰে অতিক্ৰম কৰা বাটেৰে হাজাৰ হাজাৰ বছৰ ধৰি উটৰ পিঠিত উঠি অসীম ধৈৰ্যৰে অতি মন্থৰ গতিত বাট বুলিছিল, এতিয়া তাত ধূলি উৰুৱাই বায়ু বেগেৰে চলিছে মটৰ গাড়ী। ৰেলৰে চলোৱাৰ খৰছ বৰ বেছি, তাক বহুৱাবলৈও সময় লাগে বেছি। মটৰগাড়ী সস্তাত পোৱা যায়, যেতিয়াই দৰকাৰ তেতিয়াই চলিব পাৰে। মটৰ গাড়ী বা লৰী অৱশ্যে বৰ দূৰণি বটীয়া পথত সাধাৰণতে নচলে, সৰু অলপ ঠাই বৰ বেছি হলে এশ মাইলমান বাটৰ ভিতৰতে ই ঘূৰি ফুৰি অহা যোৱা কৰি থাকে।

দূৰণিবটীয়া পথৰ কাৰণে আছে আকাশী জাহাজ। ইও ৰেলৰেৰ তুলনাত সস্তা, চলেও বৰ বেগেৰে। যানবাহানৰ প্ৰয়োজনত এই উৰাজাহাজৰ ব্যৱহাৰ পৃথিৱীত বৰ বেগেৰে বাঢ়ি যাব, ইয়াত কোনো সংশয়ৰ থল নাই। ইতিমধ্যে এই বিষয়ে আয়োজনৰ বহুখিনি উন্নতি দেখা গৈছে, প্ৰকাণ্ড প্ৰকাণ্ড উৰাজাহাজ নিয়মিতভাৱে এক মহাদেশৰ পৰা আন মহাদেশলৈ অহাযোৱা কৰিছে। এইবোৰ ডাঙৰ ডাঙৰ বায়ুপথৰো এটি মিলন স্থল হৈ পৰিছে পশ্চিম এচিয়া, বিশেষকৈ বাগদাদ চহৰ তাৰ কেন্দ্ৰ।

লণ্ডনৰপৰা ভাৰত আৰু অষ্ট্ৰেলিয়ালৈকে যে বৃটিছ ইম্পিৰিয়েল-এয়াৰ-ওয়েজ চলিছে সেইটো আমষ্টাৰ্ডামৰপৰা বাটাভিয়ালৈকে যি কে, এল, এম, ডাচ, লাইন চলিছে সেইটো আৰু পেৰিচৰপৰা ইন্দোচীনলৈকে বিয়পা ফৰাচী এয়াৰ লাইনচ (এয়াৰ ফ্ৰান্স) এই তিনিওৰে ঘাটি বাগদাদত আছে। মক্কা আৰু ইৰাণো বাগদাদৰ লগত বায়ুপথেৰে সংযুক্ত। (ইয়ুৰোপৰপৰা) চীন আৰু সুদূৰ প্ৰাচ্যৰ বিমানৰ যাত্ৰীয়ে বাগদাদৰ ওপৰেদিয়েই যাব লাগে। বাগদাদৰপৰা বিমান কাইৰো-লৈকে যায়—তাৰ উপৰিও ই আফ্ৰিকাৰ বিমান পথৰ যোগেদি কেপটাউনৰ লগতো সংযুক্ত।

এইবোৰ বিমান পথৰ বেছি ভাগৰ পৰাই বিশেষ একো লাভ নহয়, অথচ এওঁলোকক প্ৰচুৰ চৰকাৰী সাহায্য দিবলগীয়া হয়, কাৰণ সাম্ৰাজ্যসমূহৰ ওচৰত এতিয়া বিমান শক্তিৰ বিশেষ আদৰ। বৈজ্ঞানিক শক্তিৰ বিকাশৰ লগে লগেই নৌ শক্তিৰ গুৰুত্ব বহুতো কমি গৈছে। যি ইংলেণ্ডে আগতে ইয়াৰ নৌ শক্তিৰ কাৰণে ইমান বেছি অহঙ্কাৰ কৰিছিল, আৰু বহিঃশত্ৰুৰ আক্ৰমণৰপৰা নিজক বৰ নিৰাপদ বুলি ভাবিছিল, আত্মৰক্ষাৰ ব্যৱস্থাৰ ফালৰপৰা বিবেচনা কৰিলে ই আৰু এচিয়াৰ এটা কেৱল দ্বীপেই নহয়। ফ্ৰান্স বা আন কোনো দেশৰ দৰেই আকাশৰপৰা আক্ৰমণ চলাই ইয়াকো আঘাট কৰা সহজ

হৈ পৰিছে। সেয়ে সকলো ডাঙৰ ডাঙৰ দেশ সমূহে বিমান শক্তিত প্ৰবল হৈ উঠিব বিচাৰিছে, আগতে সমুদ্ৰ পথৰ আধিপত্য লৈ দেশে দেশে যি অৰিয়াঅৰি চলাইছিল, তাৰ ঠাই এতিয়া দখল কৰিছে বিমান শক্তিৰ অৰিয়া-অৰিয়ে। শান্তিৰ সময়ত বায়ু পথেৰে যাত্ৰী অনা নিয়া কৰাৰ যি ব্যৱস্থা আছে, প্ৰত্যেক দেশেই উৎসাহ আৰু চৰকাৰী সাহায্য দি তাক বঢ়াই তুলিছে। কাৰণ ইয়াৰ ফলত এনে কিছুমান সুশিক্ষিত বৈজ্ঞানিক উদ্ভৱ হব, যিবোৰক যুদ্ধ লাগিলে কামত ব্যৱহাৰ কৰিব পৰা যাব। অ-সামৰিক বিমান বিভাগৰ উন্নতি বৰ বেগেৰে কৰা হৈছে আৰু য়ুৰোপ আৰু আমেৰিকাত শ শ বিমান প্ৰতিষ্ঠান গঢ়ি উঠিছে। এই কথাত য'ত যিখিনি উন্নতি হৈছে, তাৰ বেছি ভাগেই হৈছে আমেৰিকাৰ যুক্তৰাষ্ট্ৰত, চোভিয়েট ইউনিয়নতো ইয়াৰ যথেষ্ট উন্নতি দেখা গৈছে, দূৰদূৰণিত অৱস্থিত এই ৰাষ্ট্ৰৰ অংশবোৰৰ ওপৰেদি বহুতো বিমান পথৰ উৰাজাহাজবোৰ আহ-যাহ কৰি থাকে।

এতিয়া আহিছে বিমান শক্তিৰ যুগ—এই যুগত পশ্চিম এচিয়াই আকৌ নতুনভাৱে গুৰুত্ব লাভ কৰিছে, তাৰ কাৰণ এই ঠাইৰ ওপৰেদি বহুতো সুদূৰ প্ৰসাৰী বিমানপথ গৈছে। পুনৰায় ই বিশ্বৰ ৰাজনীতিত প্ৰৱেশ লাভ কৰি মহাদেশ সমূহৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ কেন্দ্ৰস্থল হৈ ঠিয় দিছে। এই কথাত এইটো বুজা গৈছে যে এই দেশত এতিয়া ডাঙৰ ডাঙৰ দেশ সমূহৰ মাজত সংঘৰ্ষ আৰু বিৰোধৰ ক্ষেত্ৰত পৰিণত হৈছে, কিয়নো তেওঁলোকৰ পৰস্পৰৰ আশা আকাঙ্ক্ষাৰ মাজত সংঘাট হয় আৰু প্ৰত্যেকেই আনৰ ওপৰত সুবিধা কৰিবলৈ চেষ্টা কৰে। এই কথাটো যদি মনত ৰাখো তেনেহলে মধ্যপ্ৰাচ্যত আৰু আন আন ঠাইত বৃটিছৰ আৰু আন আন জাতিৰ কাৰ্যকলাপৰ মূলতে যি কূটনীতি আছে তাৰ বহুতোখিনি আমি বুজিব পাৰিম।

ভাৰতলৈ যোৱাৰ এই নতুন পথৰ ঠিক ওপৰতেই মচুল অৱস্থিত, তাৰ উপৰিও ইয়াত তেল আছে। বিমান শক্তিৰ যুগত এতিয়া তেল আগতকৈও বেচি প্ৰয়োজনীয় হৈ পৰিছে। ইৰাকতো মূল্যবান তেলৰ খনি আছে, আৰু সেইটোও এই বিমান পথবোৰৰ একেবাৰে মাজতে পৰিছে। এতেকে ইৰাকক নিজৰ অধীনত ৰখাটো যে বৃটেনৰ পক্ষে কিমান আৱশ্যক সেইটো স্পষ্ট বুজা যায়। পাৰস্যত বহুতো তেলৰ খনি আছে, বহুদিন ধৰি এই খনিবোৰৰ তেল তুলি নিছে এটি ইংৰাজ কোম্পানীয়ে—ইয়াৰ নাম হ'ল এংলো পাৰ্চীয়ান অয়েল কোম্পানী। বৃটিছ চৰকাৰ এই কোম্পানীৰ এটা অংশীদাৰ।

তেল বা পেট্ৰোলৰ প্ৰয়োজন আৰু গুৰুত্ব বাঢ়ি গৈছে, আৰু ইয়াৰ দ্বাৰা সাম্ৰাজ্যিক-নীতি প্ৰভাৱিত হৈছে। আচলতে আধুনিক সাম্ৰাজ্যবাদক 'তেলৰ সাম্ৰাজ্যবাদ' বুলি অভিহীত কৰা হয়।

মধ্যপ্ৰাচ্যৰ দেশবোৰ আকৌ নতুনকৈ গুৰুত্বপূৰ্ণ হৈ উঠিছে, আকৌ বিশ্ব-ৰাজনীতিৰ ঘূৰ্ণি বতাহত আহি পৰিছে যিবোৰ কাৰণত তাৰে কেইটামান কাৰণ লৈ মই এই চিঠিত আলোচনা কৰিলোঁ। কিন্তু এই সকলোবেই পিচত আছে গোটেই এচিয়া মহাদেশ বা প্ৰাচ্যৰ জাগৰণ।

১৬৬

আৰব অঞ্চলৰ দেশ—চিৰিয়া

২৮ মে, ১৯৩৩

প্ৰত্যেক দেশতে মানুহৰ কিছুমান সম্প্ৰদায় আছে, যিবোৰৰ ভাষা এক, ৰীতি,-নীতি এক। এওঁলোকক একেলগে সাঙুৰি শক্তিশালী কৰি তুলিবলৈ যিমানখিনি শক্তি জাতীয়তাবাদৰ আছে তাৰ বহুতো প্ৰমাণ আমি দেখিছোঁ। এই জাতীয়তাবাদে এনে ধৰণৰ এটা সম্প্ৰদায়ৰ সকলো লোকক ঐক্যবদ্ধ কৰি দিয়ে, আকৌ আন আন সম্প্ৰদায়ৰ পৰা ইয়াক আৰু বেছিকৈ বেলেগ কৰি পেলায়। জাতীয়তাবাদৰ উৎসাহত ফ্ৰান্স এটা শক্তিশালী আৰু মুখ্যাহত জাতিত পৰিণত হৈছে, ইয়াৰ লোকসকলৰ মাজত পৰস্পৰৰ বন্ধন অতি দৃঢ়, পৃথিৱীৰ আন আন সকলো দেশকে তেওঁলোকে তেওঁলোকৰ পৰা সম্পূৰ্ণ বেলেগ ধৰণৰ বুলিয়েই জানে। জাৰ্মাণ অঞ্চলৰ গোটেই দেশসমূহো আকৌ এই জাতীয়তাবাদৰ বান্ধোনত একেলগে সাঙোৰখাই এটি প্ৰবল জাৰ্মাণ জাতিত পৰিণত হৈছে। ইফালে আকৌ ফ্ৰান্স আৰু জাৰ্মাণ দুয়ো বেলেগ বেলেগ ভাবে সংহত হৈ উঠিছে, তাৰ ফলতে দুয়োৰে মাজত পাৰ্থক্য আৰু বেছি বাঢ়ি গৈছে।

দেশৰ মাজত যদি একাধিক বেলেগ জাতিগত সম্প্ৰদায় থাকে, তাত জাতীয়তা-বাদৰ ফলত বহুত সময়তেই হয় পৰস্পৰৰ বিৰোধ, দেশখনক এক কৰি সফল কৰি তোলাৰ পৰিবৰ্তে সেই জাতীয়তাবাদে বৰং তাক দুৰ্বল কৰিয়েই তোলে, ভাঙি টুকুৰা-টুকুৰি কৰি পেলায়। বিশ্বযুদ্ধৰ আগতে অষ্ট্ৰিয়া-হাঙ্গেৰীয়ান সাম্ৰাজ্যৰ এই দশা আছিল। বহুতো জাতিৰ বসতি আছিল তাত, তাৰ ভিতৰত জাৰ্মাণ-অষ্ট্ৰিয়ান আৰু হাঙ্গেৰীয়ান, এই দুই জাতি প্ৰধান, বাকীবোৰ আছিল এওঁলোকৰ অধীন। প্ৰত্যেক জাতীয়তাবাদৰ প্ৰসাৰৰ ফলত অষ্ট্ৰিয়া-হাঙ্গেৰীয়াৰ সাম্ৰাজ্য দুৰ্বল হৈ পৰিল। জাতীয়তাবাদৰ প্ৰভাৱত এওঁলোকৰ প্ৰত্যেকটি জাতিয়েই নতুন কৰি প্ৰাণ পাই সজীৱ হৈ উঠিল, আৰু তাৰ লগে লগেই এওঁলোক প্ৰত্যেকেই বেলেগ ভাবে স্বাধীনতা আৰ্জনৰ স্বপ্ন দেখিবলৈ আৰম্ভ কৰিলে। যুদ্ধৰ কাৰণে অৱস্থাটো আৰু বেয়া হৈ উঠিল, যুদ্ধত পৰাজিত হোৱা মাত্ৰকে দেশখন ভাঙি বহুতো সৰু সৰু টুকুৰাত পৰিণত হ'ল, প্ৰত্যেকটি জাতীয়েই নিজৰ নিজৰ এলেকা লৈ একোখন কৰি স্বাধীন ৰাষ্ট্ৰ গঠন কৰি বহিল। দেশখনক ভাগ কৰাৰ ফলত তাৰ ফলো ভাল নহল—কিন্তু সেই আলোচনা অপাততঃ আমাৰ দৰকাৰ নাই। ইফালে জাৰ্মানীৰো ভীষণ পৰাজয় হৈছিল, কিন্তু ই ভাঙি খণ্ড খণ্ড নহ'ল। সহস্ৰ দুৰ্দশা


আৰব ৰাষ্ট্ৰসমূহ
তু ৰ স্ক
আলেকজান্দ্ৰেত্তা
আলেপ্পো
চি ৰি য়া
মচুল
কিৰ্কুক
ই ৰা ণ
টাইগ্ৰিচ
ইউফ্ৰেটিচ
ই ৰা ক
বাগদাদ
বেইৰুত
দামাস্কচ
জবল
এদ-দ্ৰুজ
হাইফা
জেৰুজালেম
ট্ৰান্স
জৰ্ডন
চুয়েজ
আকাবা
ম ৰু ভূ মি
বাচৰা
চৌ দি আ ৰ ব

আৰু দৈন্যৰ মাজতো ই এখন অখণ্ড দেশ হিচাবেই জীয়াই থাকিল, কাৰণ তাক বান্ধি ৰাখিবৰ কাৰণে আছিল জাতীয়তাবাদৰ সুদৃঢ় বন্ধন।

বিশ্বযুদ্ধৰ আগতে তুৰ্কী সাম্ৰাজ্যও আছিল ঠিক অষ্ট্ৰিয়া হাঙ্গেৰীৰ দৰে বহু জাতিৰ এটি বিচিত্ৰ সমন্বয়। বলকান অঞ্চলৰ জাতিবোৰ আছিল ইয়াৰ ভিতৰত, তাৰ উপৰিও আছিল আৰব, আৰ্মাণী আৰু বহুতো জাতি। এতেকে জাতীয়তাবাদৰ চেতনাই এই সাম্ৰাজ্যখন ভাঙি টুকুৰা-টুকুৰি কৰি পেলালে। এই জাতীয়তাবাদৰ প্ৰথম আবিৰ্ভাৱ হল বলকান অঞ্চলত। উনৈশ শতাব্দীৰ আগৰপৰা গুৰিলৈকে গোটেই সময়খিনি তুৰস্কক এটাৰ পিছত এটাকৈ বলকান অঞ্চলৰ প্ৰত্যেকটো জাতিৰ লগত যুদ্ধ কৰিবলগীয়া হৈছে, গ্ৰীচক লৈ সেই যুদ্ধৰ আৰম্ভ। য়ুৰোপৰ ডাঙৰ জাতিসমূহে বিশেষকৈ জাৰৰ শাসনত থকা ৰুচিয়াই এওঁলোকৰ এই নৱ-জাগ্ৰত জাতীয়তাবাদক নিজৰ কামত লগাবলৈ চেষ্টা কৰিলে। ইয়াৰ লগত নানাৰকমৰ ষড়যন্ত্ৰ চলাব ধৰিলে। আৰ্মাণীসকলক উচতাই দি, তেওঁলোকৰ আঘাটত অটোমান সাম্ৰাজ্যক দুৰ্বল কৰি পেলাব বিচাৰিলে তেওঁলোকে, ইয়াৰ কাৰণেই তুৰ্কী চৰকাৰৰ লগত আৰ্মাণীসকলৰ সদায় যুদ্ধ হৈছে, সেই যুদ্ধত ভীষণ ৰক্তপাত আৰু নৰহত্যাও হৈছে। ডাঙৰ জাতিবোৰে এই আৰ্মাণীসকলৰ নিজৰ কামত লগাইছে—তেওঁলোকৰ নাম উঠাই নিজৰ প্ৰচাৰ কাৰ্য চলাইছে, তাৰ পিছত বিশ্বযুদ্ধ শেষ হোৱাৰ পিছত যেতিয়া দেখিলে এওঁলোকক আৰু তেওঁলোকৰ প্ৰয়োজন নাই—তেতিয়া সহজেই তেওঁলোকৰ লগত সকলো সংস্ৰৱ পৰিত্যাগ কৰিছে। আৰ্মাণীদেশখন তুৰস্কৰ পূবত অৱস্থিত আৰু কৃষ্ণ সাগৰলৈকে বিস্তৃত। পিছৰ কালত এই দেশখনত চোভিয়েট প্ৰজাতন্ত্ৰ স্থাপিত হৈছে, এতিয়া এইখন ৰুচ চোভিয়েট ইউনিয়নৰ ভিতৰত।

আৰবসকলৰ লগত তুৰ্কীসকলৰ কোনো দিনেই সদ্ভাৱ নাছিল, তথাপি কিন্তু তুৰ্কী সাম্ৰাজ্যৰ আৰৱ জাতি ৰজল অংশটো জাগি উঠিবলৈ বহুত বেছি সময় লাগিছিল। প্ৰথমতে আহিল এটি সংস্কৃতিৰ পূৰ্ণ জীৱন, আৰবী ভাষা আৰু সাহিত্যক নতুন কৰি সঞ্জীৱিত কৰি তুলিলে তেওঁলোকে। এই কাম প্ৰথম আৰম্ভ হয় চিৰিয়াত, ১৮৬০ চনৰ পিছৰ কালছোৱাত। তাৰপৰা ইয়াৰ বা-বতাহ মিছৰ আৰু আন আন ভাষাভাষী দেশত বিয়পি পৰিল। ১৯০৮ চনত তুৰস্কত 'তৰুণ তুৰ্কী বিপ্লৱ' হ'ল, চুলতান আব্দুল হামিদৰ পতন হ'ল—এই দেশ সমূহত ৰাজনৈতিক আন্দোলন তাৰ পিছত বাঢ়ি উঠিল। মুছলমান আৰু খ্ৰীষ্টান নিৰ্বিশেষে সকলো আৰববাসীৰ মাজত জাতীয়তাবাদৰ মন্ত্ৰ বিয়পি পৰিল। আৰৱ অঞ্চলৰ দেশ সমূহক তুৰ্কীৰ অধীনৰ পৰা মুক্ত কৰি তেওঁলোকক লৈ এখন অখণ্ড ৰাষ্ট্ৰ গঠন কৰা হব—এই স্বপ্নৰো পাখি গজিল। মিছৰ, আৰবী ভাষাভাষীৰ দেশ, কিন্তু ৰাষ্ট্ৰ হিচাবে ই আছিল এওঁলোকৰপৰা অলপ বেলেগ সেয়েই আৰব ৰাষ্ট্ৰ প্ৰতিষ্ঠা হোৱাৰ কথাও ইয়াৰ মাজত সিও আহি যোগ দিব এই আশা কোনেও নাই কৰা। কথা আছিল এই আৰব ৰাষ্ট্ৰ গঠন হব, আৰব, চিৰিয়া, পেলেষ্টাইন আৰু ইৰাক দেশ লৈ। আৰবসকল এক কালত ইচলাম ধৰ্মাৱলম্বীসকলৰ নেতৃস্থানীয় আছিল, সেই মৰ্যাদা তেওঁলোকে আকৌ ঘূৰাই পাব বিচাৰিলে, ফলে

খলিফাৰ পদ অটোমন চুলতানৰ হাতৰপৰা আনি আৰবসকলৰ কোনো বংশৰ হাতত দিয়া হওঁক। আৰব জাতিৰ গৌৰৱ আৰু মৰ্যাদা ইয়াত বেছি বাঢ়ি যাব। এতেকে এইটোক সকলোৱে ধৰ্মগত আন্দোলন নাভাবি বৰং এটা জাতীয় আন্দোলন বুলিয়েই মানি ললে, চিৰিয়াত আৰব, খ্ৰীষ্টান যিসকল আছিল তেওঁলোকেও এই আন্দোলন সমৰ্থন কৰিলে।

বিশ্বযুদ্ধৰ বহুত আগৰপৰাই বৃটেনে আৰৱসকলক এই জাতীয় আন্দোলনৰ নেতাসকলৰ লগত ষড়যন্ত্ৰ আৰম্ভ কৰি দিছিল। বিশাল এখন আৰব সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি দিয়া হব ইত্যাদি ধৰণৰ বহুতো ডাঙৰ প্ৰতিশ্ৰুতি যুদ্ধৰ সময়ত বৃটেনে দিব ধৰিলে। মক্কাত চৰীফ হুছেনৰ মনত আশাৰ সঞ্চাৰ হ'ল বিশাল এখন ৰাজ্যৰ আধিপত্য আৰু খলিফাৰ পদ—দুয়োটাই এইবাৰ তেওঁৰ হাতত আহি পৰিল বোধহয়। আশাতে তেওঁ বৃটেনৰ পক্ষত যোগ দিলে, আৰবসকলক উচতাই দি তুৰস্কৰ বিৰুদ্ধে বিৰাট এটি বিদ্ৰোহ সৃষ্টি কৰিলে। চিৰিয়াত থকা আৰব সকলে মুছলমান, খ্ৰীষ্টান, নিৰ্বিশেষে হুছেইনৰ এই বিদ্ৰোহত যোগ দিলে, তেওঁলোকৰ নেতাসকলে সেই অপৰাধৰ প্ৰায়চিত্ত কৰিলে প্ৰাণ দি-তুৰ্কীসকলে তেওঁলোকক ধৰি ফাঁচি কাঠত ওলোমালে। ৬ মে তাৰিখে দামাস্কাচ আৰু বেইৰুত চহৰত এওঁলোকৰ ফাঁচি হয়, চিৰিয়াত আজিও এই দিনটোত এই জাতীয় চহীদসকলৰ সোঁৱৰণি দিবসপালন কৰা হয়।

আৰবসকলৰ বিদ্ৰোহ সফল হ'ল। বিদ্ৰোহীসকলক গোপনে টকা যোগান ধৰিছিল বৃটেনে, আৰু বিশেষকৈ এওঁ- লোকক সহায় কৰিছিল এজন বৰ প্ৰতিভাশালীলোকে। বৃটেনৰ ৰহস্যময় লোক এওঁ আৰু বৃটিছ গুপ্তচৰ বিভাগৰ প্ৰসিদ্ধ কৰ্মী বুলি এওঁৰ নাম প্ৰখ্যাত হৈ আছে। নামটো হৈছে কৰ্ণেল লৰেন্স। যুদ্ধ যেতিয়া শেষ হ'ল, তেতিয়া দেখা গ'ল আৰব অঞ্চলৰ যিমান দেশ তুৰ্কী সাম্ৰাজ্যৰ অধীনত আছিল সেইবোৰৰ প্ৰায় সকলোৱেই তুৰস্কৰ হাতৰপৰা সুলকি গৈ বৃটেনৰ হাতত পৰিছে। তুৰ্কী সাম্ৰাজ্য ভাঙি নিশ্চিহ্ন হৈ গ'ল। মই তোমাক কৈছোঁ, মুস্তাফা কামালে তুৰস্কৰ স্বাধীনতা বিচাৰিয়েই যুদ্ধ কৰিছিল, কোনো অ-তুৰ্কী দেশক জয় কৰি লবৰ তেওঁৰ কোনো অভিপ্ৰায় নাছিল (একমাত্ৰ কুৰ্দীস্থানৰ কিছু অংশৰ বাহিৰে)। অকল তুৰস্কক লৈ তেওঁ সন্তুষ্ট থাকিল, তেওঁৰ পক্ষে সেইটো বৰ জ্ঞানীৰ কাম হৈছিল।

এতেকে যুদ্ধৰ পিছত প্ৰশ্ন উঠিল—আৰব অঞ্চলৰ এই যে দেশসমূহ, এইবোৰৰ এতিয়া কি গতি হ'ব। বিজয়ী মিত্ৰ পক্ষই, তাৰ মানে বৃটিছ আৰু ফৰাচী চৰকাৰে, বৰ সদ ইচ্ছাৰে এই দেশবোৰৰ সম্বন্ধে তেওঁলোকৰ উদ্দেশ্য ঘোষণা কৰিলে। "ইমান দিনে ইয়াৰ প্ৰজাসকলে তুৰ্কীসকলৰ হাতত নিৰ্যাতন সহ্য কৰি আহিছে, এইবাৰ তেওঁলোকক, তেওঁলোকে সম্পূৰ্ণ আৰু সম্যক স্বাধীনতাৰঅধিকাৰী কৰি দিব। এইবোৰ দেশত এনে ধৰণৰ জাতীয় চৰকাৰ আৰু শাসন ব্যৱস্থা প্ৰতিষ্ঠিত কৰি দিব, যাৰ পিছত থাকিব দেশৰ প্ৰজাসকলৰ স্বাধীন অভিমত আৰু নিজৰ প্ৰেৰণা।" এই মহৎ উদ্দেশ্যটো কাৰ্যত পৰিণত কৰাৰ আয়োজন এওঁলোকে কৰিলে, আৰব অঞ্চলৰ এই দেশবোৰৰ অধিকাংশ ঠাই নিজৰ ভিতৰত ভগাই বটাই লৈ। মাটি দখল কৰাৰ যিমান ৰকমৰ বুদ্ধি সাম্ৰাজ্যবাদীসকলৰ আছে তাৰ মাজত নতুন এটা উপায় হৈছে—'মেনডেট' প্ৰথা, এই ক্ষেত্ৰতো ফ্ৰান্স আৰু ইংলেণ্ডৰ 'মেনডেট'

দি দিয়া হ'ল, তাৰ পিছত থাকিল লীগ্ অব্ নেচনছৰ শুভেচ্ছা। ফ্ৰান্সে পালে চিৰিয়া, ইংলেণ্ডে পালে পেলেষ্টাইন আৰু ইৰাক। আৰব দেশৰ মাজত সকলোতকৈ প্ৰসিদ্ধ অঞ্চল হৈছে হেজাজ সেইখন মক্কাৰ চৰীফ হুছেইনৰ অধীনত কৰি দিয়া হ'ল —বৃটেনৰ এওঁ আছিল পোষ্য পুত্ৰ বিশেষ। এখন মাত্ৰ অখণ্ড আৰব ৰাষ্ট্ৰ গঠন কৰি দিব বুলি যিমান প্ৰতিশ্ৰুতি দিয়া হৈছিল সেইবোৰ প্ৰতিশ্ৰুতি কত উঁৱাই গ'ল —আৰব অঞ্চলৰ এই দেশবোৰক এনেদৰে ভাঙি টুকুৰা টুকুৰি কিছুমান বেলেগ বেলেগ 'মেনডেট'ত পৰিণত কৰা হ'ল, গঠন কৰা হ'ল এখন ৰাষ্ট্ৰ হেজাজ, বাহিৰৰপৰা দেখাত ই স্বাধীন, কিন্তু আচলতে ই ৰ'ল বৃটেনৰ অধীনত। এই বোৰ ভাগাভাগি দেখি আৰবসকলে অত্যন্ত মৰ্মাহত হ'ল—ই তেওঁলোকৰ আশাৰ বাহিৰত। এই ভাগ বটোৱাৰাক চৰম ব্যৱস্থা বুলি মানি লবলৈ তেওঁলোকে অস্বীকাৰ কৰিলে। কিন্তু ইয়াতকৈও বহুত নতুন নতুন বিস্ময়কৰ আৰু ডাঙৰ আশা ভঙ্গ তেওঁলোকৰ কপালত লিখা আছিল, কাৰণ এই 'মেনডেট' বোৰৰ প্ৰত্যেকটিৰ ভিতৰতে আকৌ সাম্ৰাজ্যবাদীসকলে তেওঁলোকৰ পুখপি খেলা খেলিবলৈ আৰম্ভ কৰিলে, প্ৰজাসকলৰ মাজত ভাগাভাগি দলাদলিৰ সৃষ্টি কৰি দিলে, নহলে তেওঁলোকৰ শাসন সহজে চলে কেনেকৈ। এইবাৰ আমি ইয়াৰ প্ৰত্যেকখন দেশৰ কাহিনী বেলেগ কৰি চাম, তেতিয়া ঘটনাটো বুজা সহজ হ'ব। ফ্ৰান্সৰ মেনডেট চিৰিয়াৰ কথা মই প্ৰথমতে কম।

১৯২০ চনৰ আৰম্ভণিতে বৃটিছসকলৰ সাহায্যত চিৰিয়াত এখন আৰবী চৰকাৰ প্ৰতিষ্ঠিত কৰা হ'ল, তাৰ ৰজা হ'ল আমিৰ ফয়জল (এওঁ হেজাজৰ ৰজা হুছেইনৰ পুত্ৰ)। চিৰিয়াত এখন জাতীয় কংগ্ৰেছ গঠন হল, কংগ্ৰেছে অখণ্ড চিৰিয়া ৰাজ্যৰ এখন প্ৰজাতন্ত্ৰী শাসনতন্ত্ৰ ৰচনা কৰিলে। কিন্তু এই গোটেইবোৰেই কেইমাহ মানৰ ঘটনা। ১৯২০ চনতেই গ্ৰীষ্মকালত ফৰাচীসকল আহি উপস্থিত হ'ল, লীগ অব্ নেচন্ছৰ মেনডেটৰী ৰূপী পৰোৱানা তেওঁলোকৰ হাতত। ৰজা ফয়জলক তেওঁলোকে খেদি খেদি চিৰিয়া ৰাজ্য গাব জোৰেৰে দখল কৰি বহিল। গোটেইখিনি ধৰিলেও চিৰিয়া বৰ সৰু দেশ, ইয়াৰ লোকসংখ্যা ত্ৰিশ লাখতো কম। তথাপি ফৰাচীসকলৰ পক্ষে দেশখন প্ৰকৃততে এখন কণ্টকৰ বাঁহ হৈ পৰিল। চিৰিয়াত থকা আৰবসকলৰ মুছলমান আৰু খ্ৰীষ্টান নিৰ্বিশেষে সকলোৱেই তেতিয়া দৃঢ় প্ৰতিজ্ঞা কৰিছে স্বাধীনতা অৰ্জন নকৰাকৈ তেওঁলোক নেৰিব, আন কোনো দেশৰ শাসন সহজে মানি লবলৈ তেওঁলোকে একোতেই ৰাজি নহ'ল। দেশৰ মাজত বিশৃংখলা আৰু অশান্তি চলি থাকিল, আজি ইয়াত বিদ্ৰোহ হয়, কালি তাত বিদ্ৰোহ হয়—ফৰাচী শাসন চলোৱাৰ কাৰণে বিৰাট এটি ফৰাচী সৈন্য বাহিনীক সদায়েই সাজু কৰি ৰখা হ'ল চিৰিয়াত। দেখি শুনি ফৰাচী চৰকাৰে সাম্ৰাজ্যবাদীসকলৰ সনাতন নীতি খটোৱাত লাগি গ'ল। চিৰিয়াৰ জাতীয়তাবাদক দুৰ্বল কৰি পেলাবলৈ তেওঁলোকে দেশখন ভাঙি আৰু সৰু সৰু কিছুমান ৰাষ্ট্ৰত পৰিণত কৰিলে; ধৰ্ম আৰু সম্প্ৰদায়গত বিভেদকো উচটাই ডাঙৰ কৰি তুলিবলৈ চেষ্টা কৰিলে। 'শাসন কৰিবৰ সুবিধাৰ কাৰণে দেশখন বহু ভাগত বিভক্ত কৰাৰ' এই নীতি তেওঁলোকে জানি শুনি অৱলম্বন কৰিলে। নীতিটোক প্ৰায় চৰকাৰী ভাৱেই স্পষ্ট ঘোষণা কৰিলে তেওঁলোকে।

সৰু দেশ চিৰিয়া—এইবাৰ তাক ভাঙি পৰিণত কৰা হ'ল পাঁচখন বেলেগ ৰাষ্ট্ৰত।

পশ্চিম সমুদ্রৰ পাৰ আৰু লেবানন পৰ্বত শ্ৰেণীৰ ওচৰত গঠন হ'ল লেবাননৰ ৰাষ্ট্ৰ। ইয়াৰ অধিবাসীসকলৰ মাজত অধিকাংশ আছিল খ্ৰীষ্টান সম্প্ৰদায় ভুক্ত -এওঁলোকৰ নাম আছিল মেৰোনাইট্। চিৰিয়াবাসী আৰবসকলৰ পৰা বেলেগ কৰি নিজৰ ফলীয়া কৰি টানি লবৰ অভিপ্ৰায়েৰে ফৰাচীসকলে কিছুমান বিশেষ সুযোগ সুবিধা এওঁলোকক দিলে। লেবাননৰ চৰ্তৰে সমুদ্ৰৰ উপকূলতে পাৰ্বত্য অঞ্চলত আৰু এখন সৰু ৰাষ্ট্ৰ গঠন কৰা হ'ল-তাত 'আলাবি' বুলি এদল মুছলমানৰ বসতি। তাৰ উত্তৰত প্ৰতিষ্ঠিত হল আৰু এখন ৰাষ্ট্ৰ-ইয়াৰ নাম আলেকজেন্দ্ৰিয়া-এইখন ঠিক তুৰস্কৰ গাতে লগা, ইয়াৰ অধিবাসী সকলৰ বেছি ভাগেই তুৰ্কী ভাষাভাষী লোক।

এতেকে প্ৰকৃত চিৰিয়া বুলিবলৈ বিখিনি অৱশিষ্ট থাকিল দেশৰ বেছি ভাগ উৰ্বৰা মাটি ইয়াৰ বাহিৰলৈ গ'ল। তাতোকৈও বিপদৰ কথা হ'ল সমুদ্ৰৰ লগত ইয়াৰ কোনো যোগাযোগ নাই। বহুত হাজাৰ বছৰ ধৰি চিৰিয়া আছিল ভূমধ্য-সাগৰৰ পাৰৰ শক্তিশালী ৰাজ্যসমূহৰ অন্যতম। সমুদ্ৰৰ লগত ইয়াৰ এই পুৰণি কলীয়া বান্ধোন চিঙি গল, এতিয়া ইয়াৰ বাহিৰলৈ যোৱাৰ পথ হল মৰুভূমিৰ ওপৰেদি। তাৰোপৰি আকৌ এই চিৰিয়াৰ পৰাও এটা পৰ্বতীয়া অঞ্চলক কাটি নিয়া হল। তাত গঠন কৰা হল আৰু এখন ৰাষ্ট্ৰ 'জবল-এদ-দ্ৰুজ,'' দ্ৰুজ বুলি এটি উপজাতিৰ ইয়াত বসতি।

প্ৰথমৰপৰাই চিৰিয়াবাসীসকলে ফৰাচী 'মেনডেট' ক প্ৰীতিৰ চকুৰে চোৱা নাছিল ইয়াকে লৈ বহুতো কাজিয়া কৰিছে তেওঁলোকে, বিক্ষোভ প্ৰদৰ্শনৰ কাৰণে ডাঙৰ ডাঙৰ শোভাযাত্ৰা আদি বাহিৰ কৰিছে, সেই শোভাযাত্ৰাত আৰবী ছোৱালীসকলেও যোগ দিছে। ফৰাচীসকলেও এই শোভাযাত্ৰা কঠোৰ হাতেৰে ভাঙি দিবলৈ দ্বিধা-বোধ কৰা নাছিল। তাৰ পিছত ফৰাচী সকলে দেশখনক ভাঙি-চিঙি খণ্ড খণ্ড কৰিলে, আৰু সংখ্যালঘু সম্প্ৰদায়সকলক লৈ দলাদলি সৃষ্টি কৰিবলৈ চেষ্টা কৰিলে-ইয়াৰ ফলত অৱস্থা আৰু বেয়া হৈ পৰিল, প্ৰজাসকল লাহে লাহে আৰু অসন্তুষ্ট হৈ উঠিব লাগিল। ভাৰতবৰ্ষত বৃটিছসকলে যি কৰিছে, চিৰিয়াত তেনে এই অসন্তোষ দমন কৰিবৰ কাৰণে ফৰাচীসকলে প্ৰজাসকলৰ ব্যক্তিগত আৰু ৰাজনৈতিক স্বাধীনতা হৰণ কৰিলে, গুপ্তচৰ আৰু গুপ্ত পুলিচৰ লোকেৰে দেশখন ভৰাই পেলালে। বাছিবাছি বিশ্বাসী চিৰিয়াবাসীসকলক লৈ তেওঁলোকে চৰকাৰী কৰ্মচাৰীৰ পদত নিযুক্ত কৰিব ধৰিলে, প্ৰজাসকলৰ মাজত এই বিশ্বাসীসকলৰ কোনো মৰ্যদা বা প্ৰতিপত্তি নাছিল-তেওঁলোকে এওঁলোকক দলত্যাগী বুলিয়েই জানিছিল। অৱশ্যে এইবোৰ সকলোকেই কৰা হৈছিল অতি সাধু উদ্দেশ্যলৈ, ফৰাচীসকলে উচ্চৈস্বৰে ঘোষণা কৰিব ধৰিলে ''ৰাজনৈতিক বিচক্ষণতা আৰু স্বাধীনতা অৰ্জনৰ শিক্ষাত চিৰীয়াবাসীসকলক শিক্ষিত কৰি তোলাটোকেই তেওঁলোকে কৰ্তব্য বুলি মানি লৈছে।'' আমি যি সকল ভাৰতবৰ্ষত আছোঁ-আমাৰ কানত এই কথাটিৰ সুৰ পৰিচিত যেন লাগে।

অৱস্থা লাহে লাহে কঠিন হৈ আহিল-বিশেষ কৰি গুমৰি উঠিল ''জবল-এদ-দ্ৰুজৰ' লোকসকল, এওঁলোক আজন্ম যযুৱা, আৰু জাতি হিচাবে ক্ষিপ্ৰপৰিমাণে

জাতীয় প্ৰকৃতিৰ (আমাৰ উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ উপজাতিসকলৰ লগত এওঁলোকৰ কিছুপৰিমাণে মিল আছে ।) এই ড্ৰুজসকলৰ নেতা সকলৰ লগত ফৰাচী গৱৰ্ণৰে এটি হীন চক্ৰান্ত চলালে । এওঁলোকক তেওঁ নিজৰ ঘৰলৈ নিমন্ত্ৰণ কৰি লৈ গ'ল, তাৰ পিছত বন্দী কৰি ৰাখিলে, গণ্ডগোল হলে এওঁলোক থাকিব তাৰ জামিন স্বৰূপে । এইটো ১১২৫ চনৰ কথা । লগে লগেই 'জবল-এদ-ড্ৰুজ'ত বিদ্ৰোহ হ'ল । এই বিদ্ৰোহ ক্ৰমে গোটেই দেশতে বিয়পি পৰিল । স্বাধীনতা আৰু ঐক্যকামী চিৰিয়াৰ ই সৰ্বব্যাপী বিদ্ৰোহত পৰিণত হ'ল ।

চিৰিয়াৰ এই স্বাধীনতাৰ যুদ্ধ ইতিহাসত এটি অপূৰ্ব ঘটনা হৈ আছে । সৰু এখন দেশ, ভাৰতবৰ্ষৰ দুখন বা তিনিখন জিলা লগ কৰিলে যি হয়, সিমান-খিনি মাত্ৰ ইয়াৰ আয়তন, ই ঠিয় হৈ যুদ্ধ কৰিছে ফ্ৰান্সৰ বিৰুদ্ধে । তেতিয়াৰ দিনত ফ্ৰান্সৰেই সামৰিক শক্তি আছিল পৃথিৱীৰ সকলোতকৈ বেছি । ফ্ৰান্সৰ বিপুল সেনাবাহিনী, অস্ত্ৰে-শস্ত্ৰেৰে সুসজ্জিত তেওঁলোক, তাৰ লগত মুখা-মুখিকৈ সংগ্ৰাম কৰাৰ সামৰ্থ্য অৱশ্যে চিৰিয়াবাসীসকলৰ নাছিল । কিন্তু গাওঁ অঞ্চলত এই বাহিনী তিষ্ঠি থকাই কঠিন কৰি তুলিলে । ডাঙৰ ডাঙৰ চহৰবোৰহে মাথো ফৰাচীসকলৰ দখলত থাকিল, তাতো চিৰিয়া লোকসকলে প্ৰায় গৈ জুলুম কৰিব ধৰিলে । ভয় দেখুৱাই দেশৰ জনসাধাৰণক পেপুৱা লগাই দিবলৈ ফৰাচীসকলে যথাসাধ্যে চেষ্টাৰ ত্ৰুটি নকৰিলে, অসংখ্য লোকক তেওঁলোকে গুলী কৰি মাৰিলে, অসংখ্য গাওঁ জলাই দিলে । পুৰণি কালৰ বিখ্যাত চহৰ দামাস্কচ, ইয়াকো তেওঁলোকে কামানৰ গুলী মাৰি বহুখিনি ধ্বংস কৰি দিলে,—১৯২৫ চনৰ অক্টোবৰ মাহৰ ঘটনা এইটো । গোটেই চিৰিয়া দেশখনেই এটি যুদ্ধ শিবিৰত পৰিণত হৈ গ'ল । কিন্তু ইমানখিনি কৰিও বিদ্ৰোহ দমন কৰিব নোৱাৰিলে—সম্পূৰ্ণ দুটি বছৰ ধৰি সেই বিদ্ৰোহ চলিব ধৰিলে । ফ্ৰান্সৰ বিৰাট সমৰ আয়োজনৰ হেচাত শেষলৈ অৱশ্যে বিদ্ৰোহ দমন হ'ল কিন্তু চিৰিয়াবাসীয়ে যি আত্মোৎসৰ্গ কৰিছিল সেইটো অথলে নগ'ল । স্বাধীনতা লাভৰ অধিকাৰ তেওঁলোকে নিশ্চয়হে প্ৰতিষ্ঠিত কৰি গ'ল, গোটেই জগতে স্তম্ভিত হৈ দেখিলে, এই দেশৰ জনসাধাৰণ কি দুৰ্দ্ধৰ্ষ ধাতুৰে গঢ়া ।

ইয়াৰ ভিতৰত এটা লক্ষ্য কৰিবলগীয়া বিষয় হৈছে এয়ে—ফৰাচীসকলে এই বিদ্ৰোহক এটা ধৰ্মগত ঘটনা বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছিল, ড্ৰুজসকলৰ বিৰুদ্ধে খ্ৰীষ্টানসকলক উচতাই তুলিবলৈ চেষ্টা কৰিছিল, আৰু চিৰিয়াবাসীসকলে পৰিষ্কাৰকৈ বুজাই দিছিল, তেওঁলোকে যুদ্ধ কৰিছে জাতীয় স্বাধীনতাৰ কাৰণে-ধৰ্মগত কোনো উদ্দেশ্য তেওঁলোকৰ নাই । বিদ্ৰোহৰ একেবাৰে আৰম্ভণিতে ড্ৰুজ দেশত এখন অস্থায়ী চৰকাৰ প্ৰতিষ্ঠা কৰা হ'ল, সেই চৰকাৰে প্ৰজাসকলক উদ্দেশ্য কৰি এটি ঘোষণা প্ৰচাৰ কৰিছিল, তাত কৈছিল— চিৰিয়াৰ গোটেই অধিবাসীয়ে আহি এই স্বাধীনতাৰ যুদ্ধত যোগ দিয়ক, তেওঁলোকৰ ইপ্সিত ফল লাভ কৰক, সেই ফল হৈছে—''এক আৰু অখণ্ড চিৰিয়া দেশৰ স্বাধীনতা প্ৰজা-সকলৰ স্বাধীন ইচ্ছাৰে এটি গণপৰিষদ নিৰ্বাচন কৰা, যি দেশৰ শাসনতন্ত্ৰ ৰচনা কৰিব, যি বিদেশী, যি বিদেশী সৈন্যসকলে দেশখন দখল কৰি ৰহি আছে সেই-

বোৰক আঁতৰাব, এটি জাতীয় সৈন্যবাহিনী গঠন কৰা, যাৰ কাম হ'ব জনসাধাৰণৰ নিৰাপত্তা ৰক্ষা কৰা, আৰু ফৰাচী বিপ্লৱৰ যি মূলনীতি সেইবোৰক আৰু মানুহৰ অধিকাৰবোৰক দেশত প্ৰয়োগ আৰু প্ৰতিষ্ঠিত কৰা—এতেকে দেখা গৈছে ফৰাচী চৰকাৰ আৰু ফৰাচী সৈন্যবাহিনীয়ে এনে এটা জাতিক দমন কৰিবলৈ চেষ্টা কৰিছিল ফৰাচী বিপ্লৱৰ মূল কথাবোৰ আৰু সেই বিপ্লৱত মানুহৰ যিবোৰ অধিকাৰ থকা দৰকাৰ বুলি ঘোষণা কৰা হৈছিল—সেইবোৰ প্ৰতিষ্ঠিত কৰিবলৈকে সংগ্ৰাম কৰিছিল।

১৯২৮ চনৰ প্ৰথমফালে চিৰিয়াৰপৰা সামৰিক আইন তুলি দিয়া হ'ল, বাতৰি কাকতৰ ওপৰত যি 'চেংসৰ' বহুৱা হৈছিল, সেইবোৰো তুলি দিয়া হ'ল। বহুতো ৰাজনৈতিক বন্দীক মুক্তি দিয়া হ'ল। জাতীয়তাবাদীসকলৰ দাবী অনুসৰি এখন গণপৰিষদ গঠন কৰা হ'ল, দেশৰ শাসনতন্ত্ৰ ই ৰচনা কৰিব। কিন্তু ইয়াৰ ভিতৰতো গণ্ডগোলৰ এটি বীজ ফৰাচী চৰকাৰে ভৰাই দিলে—প্ৰত্যেক ধৰ্মৰ সম্প্ৰদায়ৰ কাৰণে বেলেগ নিৰ্বাচনৰ ব্যৱস্থা কৰি (ভাৰতবৰ্ষত এতিয়া যিদৰে আছে) মুছলমান, গ্ৰীক-কেথলিক, গ্ৰীক-গোড়া,-খ্ৰীষ্টান, ইহুদী প্ৰত্যেকৰ কাৰণে বেলেগ বেলেগ ভাগ কৰা হ'ল, প্ৰত্যেক ভোটাৰেই তেওঁৰ নিজৰ ধৰ্মৰ মাজৰ পৰা ভোট দিব লাগিব—তাৰ বাহিৰত যাবৰ কাৰো স্বাধীনতা নাই। দামাস্কাচত এটা সুন্দৰ ঘটনা ঘটিল, ঘটনাটি শিক্ষাপ্ৰদ। জাতীয়তাবাদীসকলৰ নেতা যি আছিল তেওঁ প্ৰটেষ্টাণ্ট, এতেকে যিকেইটি বিশেষ নিৰ্বাচন কেন্দ্ৰ কৰা হৈছে, তাৰ কোনোটোৰেই ভিতৰত নপৰে। এতেকে নিৰ্বাচিত হোৱাত তেওঁৰ কোনো পথ মুকলি নাই,-অথচ দামাস্কাচত যি কেইজন লোক আটাইতকৈ জনপ্ৰিয় আছিল তেওঁ, তেওঁলোকৰেই ভিতৰত এজন। মুছলমানসকলৰ দহখন আসন আছিল, তেওঁলোকে নিজৰপৰাই ক'লে—এখন আসন আমি এৰি দিছো—সেইখন প্ৰটেষ্টাণ্টসকলৰ কাৰণে ধৰা হওঁক। কিন্তু ফৰাচী চৰকাৰ একোতেই সেই কথাত ৰাজি নহ'ল।

ফৰাচীসকলৰ ইমান চেষ্টা প্ৰচেষ্টাৰ স্বত্বেও গণপৰিষদত জাতীয়তাবাদীসকলেই প্ৰাধান্য লাভ কৰিলে, এনে এখন শাসনতন্ত্ৰ এওঁলোকে ৰচনা কৰিলে যিখন প্ৰকৃততে এখন স্বাধীন আৰু সাৰ্বভৌম ৰাষ্ট্ৰৰেই যোগ্য। এই শাসনতন্ত্ৰত কোৱা হ'ল চিৰিয়া হব এখন প্ৰজাতন্ত্ৰী দেশ, চৰকাৰে তেওঁলোকৰ সকলো ক্ষমতা লাভ কৰিব প্ৰজাৰ হাতৰপৰা।। এই শাসনতন্ত্ৰৰ খচৰ ভিতৰত ফৰাচীসকলৰ বা তেওঁলোকৰ মেনডেটৰ নামো ক'তো উল্লেখ কৰা নহল। ফৰাচীসকলে ইয়াত আপত্তি তুলিলে কিন্তু পৰিষদে এডাল চুলিমানো পিচুৱাবলৈ ৰাজি নহল—মাহৰ পৰা মাহ ধৰি দুয়ো পক্ষৰ টনা আজোৰা চলিল। অৱশেষত ফৰাচী হাই কমিচনাৰে প্ৰস্তাৱ কৰিলে—বেচ্ এই খচৰা শাসনতন্ত্ৰকেই স্বীকাৰ কৰি লোৱা হব-কেৱল তাৰ লগত এটি অস্থায়ী ধাৰা যোগ কৰি দিয়া হব—তাৰ মৰ্ম হৈছে—মেনডেটৰ মিয়াদ যিমান দিন আছে তাৰ মাজত এই শাসনতন্ত্ৰৰ ভিতৰত কোনো ধাৰাকে এনেভাৱে প্ৰয়োগ কৰা নহব, যাতে মেনডেট অনুসৰি ফ্ৰান্সৰ ওপৰত যিবোৰ কৰ্তব্য আৰু দায়িত্ব ভাৰ আছে তাৰ কোনো ব্যতিক্ৰম হব পাৰে। কথা-

টোৰ অৰ্থ হ'ল—একেবাৰে অস্পষ্ট—তথাপি এই কথা কব অহা মানেই ফৰাচী-সকলৰ পক্ষে বহুখিনি বশ্যতা স্বীকাৰ। গণপৰিষদে কিন্তু এইখিনিও মানি-বলৈ ৰাজি নহল। তাকে দেখি তেতিয়া ১৯৩০ চনৰ মে মাহত, ফৰাচীচৰকাৰে এই পৰিষদ ভাঙি দিলে, তাৰ লগে লগেই ঘোষণা কৰিলে, পৰিষদে যি শাসন-তন্ত্ৰ ৰচনা কৰিছিল সেইখন দেশত বাহাল হ'ল—চৰকাৰে তাৰ লগত যি অস্থায়ী ধাৰাটো জুৰি দিব বিচাৰিছে সেইটোও ইয়াৰ লগত যোগ হ'ল।

প্ৰকৃততে চিৰিয়া দেশে যি যি বিচাৰিছিল তাৰ বেছিখিনিকে পালে, অথচ তাৰ কাৰণে ই কোনো ৰকমৰ আপোচ মীমাংসাৰ ভিতৰত যাবলগীয়া হোৱা নাই, যিবোৰ দাবী লৈ এই যুদ্ধ কৰিছিল তাৰ ভিতৰত এটাকো এৰি দিবলগীয়া হোৱা নাই। এতিয়া বাকী থাকিল দুটা প্ৰশ্ন মেনডেটৰ মিয়াদ শেষ হোৱা, অস্থায়ী ধাৰাটোৰ অস্তিত্বও তাৰ লগে লগেই শেষ হ'ব আৰু চিৰিয়াৰ ঐক্য সাধন, এইটো এটা বৰ ডাঙৰ কথা। এইখিনি বাদ দি চালে শাসনতন্ত্ৰখন বেছ প্ৰগতি-মূলক, সম্পূৰ্ণ স্বাধীন এখন দেশৰ উপযোগী কৰিয়েই তাক ৰচনা কৰা হৈছে। এই বিৰাট বিপ্লৱৰ সময়ত চিৰিয়াৰ লোকসকলে নিঃসংশয়ে প্ৰমাণ কৰিছে তেওঁ-লোক ধীৰ আৰু দৃঢ়সংকল্প থকা যোদ্ধা। ইয়াৰ পিছৰ কালত দেখা গ'ল, আলাপ আলোচনা দাম-দৰ, কৰাৰ কথাটো তেওঁলোকৰ দৃঢ়তা আৰু ধৈৰ্যৰ অলপো কম নহয়। পূৰ্ণ স্বাধীনতাৰ যি দাবী তেওঁলোকে এদিন তুলিছিল, তাক কোনো-মতে এক তিলমানো এৰিব বা ক্ষুণ্ণ হবলৈ দিবলৈ তেওঁলোক একেবাৰেই ৰাজি নহল।

১৯৩৩ চনৰ নৱেম্বৰত ফ্ৰান্সে চিৰিয়াৰ প্ৰতিনিধি সভাৰ ওচৰত (Chamber of Deputies) এটি সন্ধিৰ প্ৰস্তাৱ কৰিলে। এই সভা বাছি বাছি লোকা লোকেৰে ভৰপূৰ আছিল, আৰু এওঁলোকৰ মাজত আছিল বেছিভাগেই চৰমপন্থী আৰু ফৰাচী চৰকাৰৰ সমৰ্থক। এইবোৰৰ সত্বেও সভাই এই সন্ধিৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে। ইয়াৰ কাৰণ হ'ল—ফ্ৰান্সে চিৰিয়াক বৰ্তমানৰ দৰেই পাঁচখণ্ডত বিভক্ত কৰি ৰাখিবলৈ আৰু তাত নিজৰ সৈন্যবাহিনীৰ কাৰণে শিবিৰ, ঘোড়েক, আৰু বিমানঘাটি ৰক্ষা কৰিবলৈ, চেষ্টা কৰিছিল।

মন্তব্য—(অক্টোবৰ) ১৯৩৮

চেকোশ্লোভেকিয়াত নাজীৰ জয়লাভ আৰু ইউৰোপত জাৰ্মানীৰ ক্ৰমবৰ্দ্ধ-মান আধিপত্য বিস্তাৰ আৰু ইয়াৰ উপনিবেশ দাবী এইবোৰ সকলো মিলি বৰ্ত্ত-মান গোটেই পৃথিৱীতে এটা নতুন পৰিবেশৰ সৃষ্টি কৰিছে। ফ্ৰান্স দ্বিতীয় শ্ৰেণীৰ শক্তিৰ শাৰীলৈ নামি গৈছে আৰু দীৰ্ঘকালৰ কাৰণে এখন ডাঙৰ ধৰণৰ বিদেশী সাম্ৰাজ্য ৰক্ষা কৰিব পাৰিবনে নোৱাৰে সন্দেহ। পেলেষ্টাইনৰ জটিল পৰিস্থিতিৰ কাৰণে এনে প্ৰস্তাৱ হৈছে যে চিৰিয়া, পেলেষ্টাইন আৰু ট্ৰান্স-জৰ্ডানক লৈ এখন আৰব যুক্তৰাষ্ট্ৰ গঠন কৰা হওক।

১৬৭
পেলেষ্টাইন আৰু ট্ৰান্স-জৰ্ডান

২৯ মে ১৯৩৩

চিৰিয়াৰ কাষত পেলেষ্টাইন, ইয়াৰ ওপৰত লীগ অব নেচনচৰ নিৰ্দেশত বৃটিছ চৰকাৰে এখন মেনডেট পাইছে। চিৰিয়াতকৈ সৰু এই দেশখন-ইয়াৰ মুঠ লোকসংখ্যা দহ লাখতকৈ কম। তথাপি মানুহৰ চকুত ইয়াৰ বিৰাট প্ৰতিষ্ঠা' ইয়াৰ কাৰণ, ইয়াৰ গৌৰৱময় ইতিহাস আৰু কাহিনী। ইহুদী আৰু খ্ৰীষ্টান দুয়ো সম্প্ৰদায়ৰে ই তীৰ্থস্থান—কিছুপৰিমানে মুছলমানসকলৰো। ইয়াৰ অধিবাসী-সকলৰ ভিতৰত বেছিভাগেই হৈছে মুছলমান, আৰব, এওঁলোক স্বাধীন হবলৈ আৰু চিৰিয়াত যি আৰব মুছলমানসকল আছে তেওঁলোকৰ লগত এক হৈ মিলি যাবলৈ বিচাৰিছে। কিন্তু বৃটিছসকলৰ কূটনীতিৰ ফলত ইয়াতো এটি বিশেষ ধৰণৰ সংখ্যালঘু সম্প্ৰদায়ৰ সমস্যাৰ পোখা মেলিছে, এই সংখ্যালঘু সম্প্ৰদায় মানে ইহুদী-সকল। ইহুদীসকল বৃটিছৰ পক্ষে, পেলেষ্টাইনৰ স্বাধীনতা অৰ্জনত তেওঁলোকে প্ৰাণপনে বাধা দিছে। তেওঁলোকৰ ভয় স্বাধীন হলেই দেশত আৰবসকলৰ শাসন প্ৰতিষ্ঠিত হব। দুয়োটি জাতিৰ ধৰণ-কৰণত মিল নাই, সেই কাৰণে দন্দ-কাজিয়াও এওঁলোকৰ ভিতৰত লাগিয়েই আছে। আৰবসকল সংখ্যাত বেছি, ইহুদীসকলৰ ধন সম্পদ বেছি, তাৰ উপৰিও তেওঁলোকৰ পিচত আছে ইহুদী জাতিৰ বিশ্বজোৰা সংগঠন। এতেকে ইংলেণ্ডে আৰবসকলৰ জাতীয়তাবাদক ভেটা দিবলৈ ঠিয় কৰাই দিছে ইহুদীসকলৰ ধৰ্মগত জাতীয়তাবাদক, দি এনে এটা ভাব দেখুৱাইছে যেন এওঁলোকৰ দুয়োৰে মাজত সম্ভাব বজাই ৰাখিবৰ আৰু দেশত শান্তি ৰক্ষা কৰিবৰ কাৰণেই তেওঁলোকৰ ইয়াত থকা প্ৰয়োজন। সাম্ৰাজ্যবাদীসকলৰ অধীনত আন আন সকলো দেশতে এই পুৰণি খেলা আমি দেখিছোঁ, কতৰূপে কতবাৰ যে ইয়াৰ পুনৰাবৃত্তি তেওঁলোকে কৰিছে—সি এক আচৰিত ঘটনা।

অদ্ভুত প্ৰকৃতিৰ এই ইহুদীসকল। প্ৰথমতে এওঁলোক আছিল পেলেষ্টাইনৰ বাসিন্দা সৰু এটা উপজাতি, বা কেইটিমান উপজাতিৰ সমষ্টি। বাইবেলৰ ওল্ড টেষ্টামেণ্টত এওঁলোকৰ পুৰণি ইতিহাস পোৱা যায়। এওঁলোকৰ ধাৰণা এওঁলোকেই হৈছে ঈশ্বৰৰ প্ৰিয়জাতি, সেইকালৰ পৰা এওঁলোকৰ মনত অলপ অহঙ্কাৰো আছে। কিন্তু সেই অহঙ্কাৰ পৃথিৱীৰ সকলো জাতিয়েই কেতিয়াবা নহয় কেতিয়াবা কৰিছে। বহুবাৰ বহু বিজেতাৰ হাতত এওঁলোক পৰাজিত হৈছে, তেওঁলোকৰ পদানত

হৈছে, দাসত পৰিণত হৈছে। ইংৰাজী ভাষাত বিবোৰ অতি সুন্দৰ আৰু কৰুণ কবিতা আছে তাৰ কিছুমান হৈছে এই ইহুদীসকলৰেই গীত আৰু বিলাপ অৱলম্বন কৰি লিখা। বাইবেলৰ যি অনুবাদটি প্ৰচলিত, তাৰ ভিতৰত এইবোৰ গীত আৰু বিলাপ পোৱা যায়। মূল হিব্ৰু ভাষাতো বোধকৰো এই কবিতাবোৰ ঠিক এই ধৰণৰেই বা ইয়াতকৈও সুন্দৰ। এটি গীতৰ(Psalm) পৰা কেইটামান মাত্ৰ অংশ মই তোমাক শুনাইছে।—

বেবিলনৰ সেই উপকূলত বহি বহি আমি বিনাব ধৰিলোঁ।
হে চিয়ন, তোমাৰ কথা মনত পৰে,
আমাৰ বীণাবোৰ আমি আৰি ৰাখিলোঁ
তাত যি গছবোৰ আছিল তাৰ শাখাত।

আমাক যি বন্দী কৰি আনিছিল, তেওঁলোকে আদেশিলে
গীত গাব লাগিব, সুৰ সৃষ্টি কৰিব লাগিব
আমাৰ সেই দুখৰ আলয় লৈ—

ক'লে—"চিয়নৰ গীত এটি আমাক গাই শুনোৱা।"
কিন্তু প্ৰভুৰ সেই গীত— তাকনো আমি কেনেকৈ গাওঁ—
সেই অচিনাকি বিদেশী ভূমিত?

তোমাক যদি কেতিয়াবা পাহৰোঁ।—হে জেৰুজালেম
সেইদিনা আমাৰ সোঁহাতে যেন পাহৰি যায় তাৰ শিল্প-চাতুৰ্য
তোমাৰ কথা যদি কেতিয়াবা পাহৰোঁ। মোৰ জিভা যেন
বন্ধ হৈ যায় মোৰ তালুৰ লগত
ও সেয়ে যেন ঘটে যদি আনন্দৰ মুহূৰ্ত্ততো
জেৰুজালেমেই মোৰ মনত সৰ্বশ্ৰেষ্ঠৰূপে, জীয়াই নেথাকে।

পিছলৈ এই ইহুদীসকল গোটেই পৃথিৱীতে বিয়পি পৰিল। স্বদেশ বা স্বজাতি বুলিবলৈ এওঁলোকৰ একোৱেই নাছিল, য'লৈকে যায় তাতেই সকলোৱে এওঁলোকক বিদেশী বুলি ধৰি লয়-অবাঞ্চিত আলহী বুলি। চহৰৰ মাজত বিশেষ নিৰ্দিষ্ট অঞ্চলত এওঁলোকে বসতি কৰিবলগীয়া হৈছিল। আনবোৰে এওঁলোকক অপমান কৰে গালি-শপনি পাৰে, নিৰ্যাতন কৰে, আৰু নৃশংসভাৱে হত্যা কৰে,— ইহুদী' এই শব্দটোৱেই হৈ পৰিল এটা গালি-শপনিৰ ভাষা। তাৰ অৰ্থ হল কৃপন আৰু অৰ্থলোলুপ মহাজন। অথচ ইমানবোৰ অত্যাচাৰ সহ্য কৰিও এই আচৰিত জাতিটো জীয়াই থাকিল, জীয়াই থকাই কেৱল নহয়, তেওঁলোকৰ নিজৰ জাতিগত, সংস্কৃতিগত, বৈশিষ্টবোৰকো সমূলায় জীয়াই ৰাখিলে, বিপুল ধন-সম্পত্তিৰ সমৃদ্ধি অৰ্জন কৰিলে, আৰু অসংখ্য মহামানৱৰ জন্ম হল এওঁলোকৰ ভিতৰৰ পৰাই আজিৰ দিনত বৈজ্ঞানিক ৰাষ্ট্ৰনীতিবিদ, সাহিত্যিক, মহাজন আৰু ব্যৱসায়ী হিচাবে এওঁলোকেই পৃথিৱীত শীৰ্ষস্থান অধিকাৰ কৰি আছে, সমাজতন্ত্ৰবাদ আৰু সাম্যবাদৰ সকলোতকৈ ডাঙৰ নেতা যিসকল তেওঁলোকো আছিল ইহুদী। এওঁলোকৰ ভিতৰত অধিকাংশই মৰণো অতি দৰিদ্ৰ, পূব ইয়ুৰোপৰ চহৰবোৰত এওঁলোকে ঠেঁচাঠেলাকৈ বসতি কৰিছে। মাজে মাজে এওঁ-

লোকৰ ওপৰত একোটাকৈ হত্যাকাণ্ডৰ অভিযানো চলিছে। ই গৃহহীন, দেশহীন মানুহৰ জাতি-বিশেষকৈ এওঁলোকৰ মাজত যিসকল দুখীয়া, তেওঁলোকে কোনো দিনেই সেই পুৰণি কালৰ সপোন পাহৰি যোৱা নাই, আজিও তেওঁলোকে জেৰুজালেমত সপোন দেখিছে তেওঁলোকৰ কল্পনাৰ সেই জেৰুজালেম, ইমান ডাঙৰ, ইমান তাৰ জাকজমক-প্ৰকৃত জেৰুজালেমৰ সেইখিনি কোনো দিনেই নাছিল। জেৰুজালেমক তেওঁলোকে নাম দিছে 'চিয়ন' বা 'জিয়ন'-তাৰ মানে এখন প্ৰতিশ্ৰুতি দেশ-বিদেশৰ-জিয়নিজিম মানেই হৈছে সেই অতীত দিনৰ আহ্বান-তাৰ আকৰ্ষণত আজিও তেওঁলোক জেৰুজালেম বা পেলেষ্টাইনৰ প্ৰতি সকলো সময়তে আকৃষ্ট হৈ আছে। উনৈশ শতাব্দীৰ শেষৰফালে এই জিয়নবাদী আন্দোলনে লাহে লাহে ৰূপ সলাই হল এটা উপনিৰেশ স্থাপনৰ আন্দোন বহুতো ইহুদী পেলেষ্টাইনলৈ গৈ তাত ঘৰ সাজিলে। হিব্ৰু ভাষাটোক পুনৰ জীয়াই তোলা হল। বিশ্বযুদ্ধৰ সময়ত বৃটিছ সৈন্যই পেলেষ্টাইন আক্ৰমণ কৰিলে। জেৰুজালেমত যেতিয়া তেওঁলোক গৈ প্ৰৱেশ কৰিছে, এনে সময়তে ১৯১৭ চনৰ নবেম্বৰ মাহত, বৃটিছ চৰকাৰে এটি ঘোষণা প্ৰচাৰ কৰিলে। ইয়াৰ নাম দিয়া হৈছে-বালফৰ ঘোষণা। এই ঘোষণাত কোৱা হ'ল, পেলেষ্টাইনত "ইহুদীসকলৰ এখন জাতীয় বসতি স্থান" প্ৰতিস্থিত কৰি দিয়াটোৱেই বৃটিছ চৰকাৰৰ অভিপ্ৰায়। পৃথিৱীৰ চাৰিওফালে যি ইহুদী সিঁচৰিত হৈ আছিল তেওঁলোকৰ সম্প্ৰীতি লাভ কৰাই সম্ভৱতঃ আছিল এই ঘোষণাৰ উদ্দেশ্যে; টকা-কড়ি আদিৰ ফালৰপৰা ইয়াৰ গুৰুত্বও আছিল বহুখিনি। ইহুদীসকল এই ঘোষণা শুনি অতি আনন্দিত হল। কিন্তু ইয়াত অলপ ক্ৰটীও আছিল-কথাটো বৰ সৰু নহয়, তথাপি মনত হয় ই কেনেকৈ সকলোৰে চকু এৰাই গৈছে। সেইটো হৈছে পেলেষ্টাইন দেশখন নিৰ্জন প্ৰান্তৰ নহয়-জনশূন্য দেশ নহয়। সেই দেশত তাৰ আগৰপৰাই মানুহৰ বসতি আছিল। এতেকে বৃটিছ চৰকাৰে ইহুদীসকলৰ প্ৰতি এই মহৎ উদাৰতাৰ ভাব দেখুৱালে, প্ৰকৃততে সেইটো কৰা হল, পেলেষ্টাইনত আগৰপৰা যিসকল লোক আছিল তেওঁলোকৰ ডিঙি মোহাৰি। এওঁলোকৰ মাজত আৰব আছিল, মুছলমান আছিল, খ্ৰীষ্টান আছিল। এওঁলোক সকলোকেই অৰ্থাৎ ইহুদীসকলৰ বাহিৰে প্ৰকৃততে সকলোৱেই এই ঘোষণাৰ তীব্ৰ প্ৰতিবাদ জ্ঞাপন কৰিলে। সমস্যা আচলতে আছিল অৰ্থনৈতিক। এইলোকসকলে বুজিলে নতুনকৈ অহা এই ইহুদীসকলে এইবাৰ সকলো কাজকামতে এওঁলোকৰ প্ৰতিদ্বন্দ্বী হৈ থিয় দিব। ইহুদীসকলৰ পিচত আছিল অগাধ ধনবল, এতেকে অনতি পলমে তেওঁলোকেই হৈ পৰিব গোটেই দেশখনৰে মালিক। তেওঁলোকৰ মুখৰপৰা ইহুদীসকলে খাদ্যৰ গ্ৰাহ কাঢ়ি নিব-কৃষকসকলৰ হাতৰপৰা কাঢ়ি নিব মাটি, এই ভয়তে তেওঁলোক অধীৰ হৈ উঠিল।

পেলেষ্টাইনৰ যোৱা বাৰ বছৰৰ ইতিহাস আৰব আৰু ইহুদীসকলৰ মাজত সংঘৰ্ষৰ কাহিনীৰে ভৰা। বৃটিছচৰকাৰে প্ৰয়োজন বুজি এবাৰ এওঁলোকৰ পক্ষ লৈছে, এবাৰ তেওঁলোকৰ পক্ষ লৈছে, পিচে সাধাৰণতে তেওঁলোক ইহুদীসকলৰ পক্ষে। দেশখনৰ প্ৰতি এনে ব্যৱহাৰ দেখুৱা হৈছে যেন ই এখন বৃটিছ উপনিৰেশ

মাত্ৰ, ইয়াৰ স্বায়ত্ত শাসনৰ অধিকাৰ অকণো নাই। আৰবসকলে স্বায়ত্তশাসন আৰু সম্পূৰ্ণ স্বাধীনতা দাবী কৰিছে, খ্ৰীষ্টান আৰু আন আন অ-ইহুদী জাতিসমূহো তেওঁলোকৰ পক্ষে আছে। মেনডেট সম্বন্ধে এওঁলোকে তীব্ৰ আপত্তি জনাইছে, বাহিৰৰপৰা আৰু নতুন মানুহ আমদানী সম্বন্ধেও এওঁলোকৰ আপত্তি কোৱা হৈছে—আৰু মানুহৰ কাৰণে ঠাই দেশত নাই। বাহিৰৰপৰা বানপানীৰ চলৰ দৰে ভগনীয়া ইহুদীসকল দেশত আহি উপস্থিত হৈছে দেখি তেওঁলোকৰ ভয় আৰু ক্ৰোধ আৰু বাঢ়ি গৈছে। এওঁলোকে (আৰবসকলে) খোলাখুলিভাৱেই কৈছে, 'জিয়নিজিম' হৈছে বৃটিছ সাম্ৰাজ্যবাদৰ সহকাৰী বন্ধু। জিয়নিষ্ট নেতাসকলৰ মাজত যিসকল দায়িত্বশীল মানুহ তেওঁলোকেই সদাই কৈ আহিছে-ইহুদীসকলক এখন শক্তিশালী জাতীয় ব্যৱসায় যদি গঠন কৰি দিয়া হয়, সেইটো হব ইংৰাজৰ বৰ ডাঙৰ সহায়—ভাৰতবৰ্ষলৈ অহাৰ পথটো তেওঁলোকে পহৰা দি থাকিব, কাৰণ আৰবসকলৰ মাজত যি জাতীয় চেতনা আৰু প্ৰেৰণা দেখা দিছে, সি হব তাক বাধা দিয়াৰ অস্ত্ৰ। অতৰ্কিতে একো একোখন ঠাইত ভাৰতবৰ্ষৰ নামে কেনেদৰে পোখা মেলে দেখিছা।

আৰবসকলৰ কংগ্ৰেছে ঠিক কৰিছিল, বৃটিছ চৰকাৰৰ লগত তেওঁলোকে অসহযোগিতা অৱলম্বন কৰিব-বৃটিছসকলে এখন ব্যৱস্থা পৰিষদ গঢ়ি তোলাৰ চেষ্টাত আছিল তাৰ কাৰণে নিৰ্বাচনটোকেই তেওঁলোকে বয়কোট কৰিব। এই বয়কোট বৰ কৃতকাৰ্য হ'ল—পৰিষদ মুঠেই গঠন কৰিব নোৱাৰিলে। কেইবছৰমান ধৰি এটা অসহযোগৰ নীতি এওঁলোকে চলাই গ'ল। তাৰ পিছত সেই আন্দোলন কিছু সেমেকা পৰিল, দুই এটা দলে বৃটিছৰ লগত কিছু পৰিমাণে সহযোগিতা আৰম্ভ কৰিলে। কিন্তু তেতিয়াও নিৰ্বাচিত পৰিষদ গঠন কৰাৰ সামৰ্থ্য বৃটিছ কৰ্তৃপক্ষৰ নহল, হাইকমিচনাৰে নিজে সৰ্বশক্তিমান চুলতানৰ দৰে হৈ শাসন কৰিব ধৰিলে।

১৯২৮ চনত আৰবসকলৰ বিভিন্ন দল আকৌ আৰব কংগ্ৰেছ লৈ আহি এক 'জনসাধাৰণৰ স্বাভাৱিক অধিকাৰ' বুলি এটি গণতান্ত্ৰিক পাৰ্লিয়ামেণ্টৰী শাসন প্ৰথাৰ কাৰণে প্ৰতিষ্ঠাৰ কাৰণে দাবী জনোৱা হ'ল। নিৰ্ভীকভাৱে আৰু বেছি চিনাকি দিলে এটা কথা কৈ "যে স্বৈৰতন্ত্ৰী উপনিৱেশিক শাসন এতিয়া চলোৱা হৈছে-পেলেষ্টাইনৰ জনসাধাৰণে এইটো সহ্য কৰি যাব নোৱাৰে, আৰু সহ্য কৰি নচলিবও।" আৰবসকলৰ জাতীয়তাবাদৰ এই নতুন উৎসাহৰ ভিতৰত এটা বৰ ডাঙৰ লক্ষ্য কৰিবলগীয়া বিষয় আছে, এওঁলোকে অৰ্থনৈতিক সমস্যাসমূহৰ প্ৰতি বহুখিনি চকু দিছে। এই কথাটো য'তে দেখা যায়, ত'তেই বুজিব লাগিব, বাস্তৱ অৱস্থাৰ স্বৰূপ সম্বন্ধে মানুহৰ চকু মুকলি হৈছে।

১৯২৯ চনৰ আগষ্ট মাহত আৰব আৰু ইহুদীসকলৰ মাজত কেইবাৰমান বৰ ডাঙৰ ডাঙৰ দাই-কাজিয়া হ'ল। ইয়াৰ আচল কাৰণ হৈছে ইহুদীসকলৰ সংখ্যা আৰু ধন-সম্পদ দিনে দিনে বাঢ়ি গৈছে দেখি আৰবসকলৰ খং আৰু ভয় বাঢ়ি গৈছিল, তাৰ উপৰিও আৰবসকলে যি স্বাধীনতাৰ দাবী তুলিছে, ইহুদীসকলে তাত বাধা দিছিল। কিন্তু যি কথা লৈ কাজিয়া হ'ল এটা বিশেষ কথা, সেইটোক

কোৱা হয় 'আৰ্ত্তনাদৰ দেৱাল।' পুৰণি কালত হেবড্‌ৰ মন্দিৰ যি দেৱাল দি আগুৰা আছিল এইখন সেই পুৰণি দেৱালৰ অংশ। এতেকে ইহুদীসকলৰ ওচৰত ই এটা পবিত্ৰ বস্তু—এদিন তেওঁলোক জাতি হিচাবে বৰ ডাঙৰ আছিল, তাক তেওঁলোকে সেই যুগৰ স্মৃতিস্তম্ভ বুলি ভাবে। পিছৰ কালত আকৌ তাত এটা মছজিদ তৈয়াৰ কৰা হৈছিল, এই দেৱাল তাৰো এটি অংশত পৰিণত হৈছিল। ইহুদীসকলে এই প্ৰাচীৰৰ কাষত আহি তেওঁলোকৰ প্ৰাৰ্থনা আৰু স্তুতিগীত পাঠ কৰে, বিশেষ কৰি তেওঁলোকৰ বিলাপবোৰ বৰ চিঞৰি আবৃত্তি কৰে-তাৰপৰাই ইয়াৰ নাম হৈছে 'আৰ্ত্তনাদৰ দেৱাল।' মুছলমানসকলে ইয়াত আপত্তি কৰে, তেওঁলোকৰ অতি বিখ্যাত মছজিদৰ এটা অংশত এনে কাণ্ড ঘটিলে তেওঁলোকেই বা সহিব কিয় ?

হাই-কাজিয়া দমন কৰা হ'ল ; তেতিয়াও আন ফালেদি সংগ্ৰাম চলিব ধৰিলে। ইয়াৰ ভিতৰত মজাৰ কথা আছিল এয়ে-পেলেষ্টাইনত খ্ৰীষ্টানসকলৰ যিমানবোৰ সম্প্ৰদায় আছিল সকলোৰেই এই সংগ্ৰামত আৰবসকলক পূৰ্ণ সমৰ্থন কৰিব ধৰিলে। মুছলমান আৰু খ্ৰীষ্টানসকল এক হৈ বৰ ডাঙৰ ডাঙৰ হৰতাল আৰু শোভাযাত্ৰা কৰিব ধৰিলে। মহিলাসকলেও এই আন্দোলনত এটা ডাঙৰ অংশ গ্ৰহণ কৰিলে। ইয়াৰ পৰাই বুজা যায় প্ৰকৃত বিৰোধী যিটো সেইটো ধৰ্মক লৈ নহয়, সেইটো আছিল নতুন ভগনীয়া আৰু পুৰণি অধিবাসীসকলৰ মাজত অৰ্থনৈতিক স্বাৰ্থ লৈ। মেনডেটৰ দ্বাৰা বৃটিছসকলৰ ওপৰত যি কৰ্ত্তব্য জাপি দিয়া হৈছিল, সেই কৰ্ত্তব্য তেওঁলোকে পালন কৰা নাই-বিশেষকৈ ১৯২৯ চনৰ হাই-কাজিয়াক আগৰপৰাই নিবাৰণ কৰিব পৰা নাই, লীগ অৱ্ নেচন্‌চে ইয়াৰ কাৰণে বৃটিছ শাসনবৰ্গক তীব্ৰ ভাষাত তিৰস্কাৰ কৰিলে।

এতেকে পেলেষ্টাইন এতিয়াও বৃটিছসকলৰ এখন উপনিৱেশত অন্তৰ্ভুক্ত হৈ আছে, বহুত বিষয়ত ইয়াৰ অৱস্থা সম্পূৰ্ণ ধৰণৰ উপনিৱেশতকৈও বহুত বেয়া। আৰবসকলৰ বিৰুদ্ধে ইহুদীসকলক লগাই দি বৃটিছসকলে এই অৱস্থাক বাহাল ৰাখিছে। বৃটিছ কৰ্মচাৰীৰে পেলেষ্টাইন পৰিপূৰ্ণ, দেশৰ সকলো ডাঙৰ কৰ্মচাৰীৰ পদ বৃটিছসকলেই দখল কৰি আছে। বৃটিছৰ তলতীয়া দেশৰ সকলোতে যি অৱস্থা হয় সইদৰেই ইয়াৰো শিক্ষা বিস্তাৰৰ কাৰণে প্ৰায় কোনো ব্যৱস্থাকে কৰা হোৱা নাই, যদিও আৰবসকল শিক্ষাৰ কাৰণে বৰ আগ্ৰহশীল। ইহুদীসকলৰ বহুতো ধন-সম্পত্তি হৈছে, ভাল ভাল সকলো স্কুল হৈছে, কলেজ হৈছে। দেশত ইহুদীসকলৰ সংখ্যা ইতিমধ্যে মুছলমানসকলৰ সংখ্যাৰ এক চতুৰ্থাংশৰ ওচৰা-ওচৰি হৈছে গৈ, মুছলমানসকলৰ তুলনাত তেওঁলোকৰ আৰ্থিক শক্তি বহুতো বেছি। পেলেষ্টাইনত এদিন তেওঁলোকেই প্ৰভুত্বৰ আসন দখল কৰিব, সেই দিনৰ প্ৰতি আশা ৰেখ তেওঁলোকে এতিয়াৰ পৰা কৰিছে। জাতীয় স্বাধীনতা আৰু গণতান্ত্ৰিক শাসন প্ৰথা বিচাৰি আৰবসকলে সংগ্ৰাম চলাইছে। সেই সংগ্ৰামত ইহুদীসকলৰ সহযোগিতা পাবলৈ বহুতো চেষ্টা কৰিছিল। কিন্তু সেই আহ্বানত ইহুদীসকলে কৰ্ণপাত কৰা নাই। তাতকৈ বিদেশী শাসকৰ পক্ষ সমৰ্থন কৰাই তেওঁলোকৰ বেছি পছন্দ দেশৰ অধিকাংশ লোকক স্বাধীনতাৰপৰা বঞ্চিত কৰি ৰখাৰ

কামত এওঁলোকে তেওঁক সাহায্য কৰিছে। সেই অধিকাংশ দলৰ ভিতৰত বেছি ভাগ লোকেই হৈছে মুছলমান-তেওঁলোক আৰু খ্ৰীষ্টানসকলে ইহুদীসকলৰ এই মনোভাৱক অতি বিৰক্তিৰ চকুৰে চাইছে, ইয়াত আচৰিত হবৰ একোৱেই নাই।

ট্ৰান্স-জৰ্ডান

পেলেষ্টাইনৰ কাষত জৰ্ডান নদীৰ সিপাৰে আৰু এখন সৰু ৰাজ্য আছে; যুদ্ধৰ পিছত বৃটিছে সেইখন সৃষ্টি কৰিছিল। ইয়াৰ নাম হৈছে ট্ৰান্স-জৰ্ডান। অতি সৰু এখন দেশ, মৰুভূমিৰ একেবাৰে গাতে লগা, ইয়াৰ এফালে চিৰিয়া আনকালে আৰব। ৰাজ্যখনৰ মুঠ লোকসংখ্যা তিনি লাখৰো ওচৰা-ওচৰি,—বজলীয়া এখন চহৰৰ প্ৰায় সমান বুলিব পাৰি। বৃটিছ চৰকাৰে অনায়াসেই ইয়াক পেলেষ্টাইনৰ লগত সাঙুৰি এক কৰি দিব পাৰিলেহেঁতেন। কিন্তু সাম্ৰাজ্যবাদীয়ে এক কৰাতকৈ ভাঙি ৰাখোতে ভাল পায়। ভাৰতবৰ্ষলৈ অহা স্থলপথৰ আৰু বায়ুপথৰ মাজত এটা ঘাটি স্বৰূপে এই ৰাজ্যখনৰ এটি ডাঙৰ স্থান আছে। এফালে মৰুভূমি আৰু আনফালে পশ্চিমৰ সমুদ্ৰলৈকে বিয়পা উৰ্বৰ দেশ, মাজতে এইখন আছে এটা সীমাৰ খুটি স্বৰূপে, সেইকালৰপৰাও ইয়াৰ গুৰুত্ব কম নহয়।

ৰাজ্যখন সৰু। কিন্তু ওচৰ-পাজৰৰ ডাঙৰ ডাঙৰ দেশ সমূহত যিবোৰ ঘটনাই পোখা মেলিছে এইখনেও তাৰপৰা ৰেহাই পাব পৰা নাই। দেশৰ জনসাধাৰণে বিচাৰিলে যে গণতান্ত্ৰিক পাৰ্লিয়ামেণ্ট প্ৰতিষ্ঠিত হওক, কিন্তু মালিকসকলে সেই প্ৰাৰ্থনাত কাণ দিয়া নাই-এতেকে প্ৰজাসকলে আন্দোলন কৰিছে আৰু সেই আন্দোলন এওঁলোকে দমন কৰিছে। চেন্সৰ বহুৱাইছে, নেতাসকলক নিৰ্বাসিত কৰিছে। প্ৰজাসকলেও চৰকাৰী ব্যৱস্থা অমান্য আৰু বৰ্জন কৰিছে, ইত্যাদি কাণ্ড হয়তো পূৰ্ণ উদ্যমেই চলিছে। বৃটিছসকলে এটি ভাল ৰজা পাতিছে ইয়াত। আমীৰ আব্দুল্লাক (হেজাজৰ ৰজা হুছেইনৰ আৰু এজন পুত্ৰ ফয়জলৰ ভায়েক) ট্ৰান্স-জৰ্ডানৰ ৰজা পাতি দিছে। তেওঁ একেবাৰে বৃটিছৰ হাতৰ পুতলা হৈ আছে। তেওঁলোকে যি কয় তাকে কৰে। কিন্তু কাম-কাজ চলিছে তেওঁৰেই নামত। প্ৰজাসকলৰ খং গৈ ঠিক বৃটিছৰ ওপৰত পৰা নাই, মাজতে তেওঁলোকে আঁৰলৈ লুকাই থাকে, একালৰপৰা তেওঁ বৃটেনৰ খুব কামত লাগিছে সন্দেহ নাই। যি ঘটনা ঘটে তাৰ কাৰণে বেছি ভাগ দোষেই পৰিছে তেওঁৰ মূৰত—জনসাধাৰণৰ ওপৰত তেওঁৰ বৰ খং। ভাৰতবৰ্ষত আমাৰ বহুতো সৰু দেশীয় ৰাজ্য আছে। আব্দুল্লাই সাধন কৰা ট্ৰেন্স-জৰ্ডান ৰাজ্যৰ অৱস্থা বহুখিনি তেনে-কুৱাই।

নামত এখন স্বাধীন ৰাজ্য। কিন্তু ১৯২৮ চনত বৃটিছৰ লগত আব্দুল্লাৰ এটা সন্ধি হৈছে, তাত সামৰিক আৰু আন আন কথাত বিধান পাৰে সুযোগ সুবিধা আৰু অধিকাৰ তেওঁ বৃটেনক দি দিছে। ট্ৰান্স-জৰ্ডান প্ৰকৃততে পৰিণত হৈছে বৃটিছ সাম্ৰাজ্যৰ এটি অংশত। বৃটিছৰ অধীনৰপৰা নতুন ধৰণৰ স্বাধীনতা পোৱাৰ যি ৰীতিৰ পাতনি মেলা হৈছে ইও এটা তাৰেই সৰু নমুনা। এই সন্ধি আৰু মুঠৰ ওপৰত এই অৱস্থাৰ কাৰণেই প্ৰজাসকল অতি ক্ৰোধান্বিত হৈ উঠিছে-মুছলমান আৰু খ্ৰীষ্টান সকলোৱেই। সন্ধিৰ বিৰুদ্ধে

প্ৰতিবাদ জনাই তেওঁলোকে আন্দোলন আৰম্ভ কৰিলে ; সেই আন্দোলন দমন কৰা হ'ল, যি বাতৰি কাকতসমূহে সেই আন্দোলনক সমৰ্থন জনাইছিল, সেইবিলাকো বন্ধ কৰি দিয়া হ'ল, আন্দোলনৰ নেতাসকলক নিৰ্বাচনত পঠোৱা হ'ল। তাৰ ফলত প্ৰজাসকলৰ বিৰোধিতা আৰু বাঢ়িল, এখন জাতীয় কংগ্ৰেছৰ অধিবেশন হ'ল, কংগ্ৰেছে এখন "জাতীয় সন্ধিপত্ৰ' ৰচনা কৰিলে, আৰু ৰজাৰ সন্ধিক অন্যায় আৰু অবৈধ বুলি ঘোষণা কৰিলে। তাৰ পিচত যেতিয়া নতুন নিৰ্বাচনৰ কাৰণে ভোটাৰৰ তালিকা তৈয়াৰ কৰাৰ চেষ্টা হ'ল, দেশৰ প্ৰায় গোটেই প্ৰজাই তাক 'বয়কোট' কৰিলে, ভোটাৰ বুলি নাম লেখিবলৈ অসন্মত হ'ল। আব্দুল্লা আৰু বৃটিছৰ কৰ্তৃপক্ষই অৱশ্যে ইমানতে এৰি নিদিলে, কোনোমতে দুই চাৰিজন লোকক নিজৰ দলত সাঙুৰি লৈ তেওঁলোকৰ হতুৱায়ে সন্ধি প্ৰস্তাৱটোক লোকক দেখুৱাই অনুমোদন কৰি ললে।

১৯২৯ চনত পেলেষ্টাইনত যেতিয়া গণ্ডগোল চলিছিল, ট্ৰান্স-জৰ্ডানতো তেতিয়া ডাঙৰ ডাঙৰ শোভাযাত্ৰা আদি হৈছে, বৃটিছ-শাসন আৰু বালফৰ ঘোষণাৰ বিৰুদ্ধে প্ৰজাসকলে প্ৰতিবাদ জনাইছে।

বিভিন্ন দেশৰ ঘটনাৱলীৰ বিষয়ে মই তোমালৈ দীঘল দীঘল চিঠি লেখি গৈছোঁ ; চাই চাই দেখিবা সেইবোৰ একোটি মাত্ৰ গল্পৰ বাৰে বাৰে পুনৰাবৃত্তি। তথাপি সেই গল্প সদায় কৈ আহিছোঁ, এটা কথা তোমাক ভালদৰে বুজাই দিওঁ বুলি, নিজৰ দেশত বহি আমি সকলোৱে ভাবোঁ, প্ৰত্যেক জাতিৰ নিজস্ব বিশেষত্ববোৰ-লৈয়ে আমি আলোচনা কৰিব লাগিব ; কিন্তু আচলতে আমাৰ চাবলগীয়া হৈছে গোটেই পৃথিৱী জুৰি যি ঘটনাৰ সোঁত বৈ গৈছে—গোটেই প্ৰাচ্য জগত জুৰি জাতীয়তাবাদৰ যি বতাহ লাগিছে, তাৰ লগত যুদ্ধ কৰিবৰ বাবে সাম্ৰাজ্যবাদীসকলে একোটি অস্ত্ৰকে সকলোতে প্ৰয়োগ কৰিছে। জাতীয়তাবাদৰ শক্তি বাঢ়িছে, বাঢ়ি গৈছে তাৰ প্ৰসাৰ, তাৰ লগে লগে সাম্ৰাজ্যবাদীসকলৰ ফন্দি অলপ অচৰপ পৰিবৰ্ত্তন হৈছে, বাহিৰৰপৰা তেওঁলোকে সেই জাতীয়তাবাদীসকলক সন্তুষ্ট কৰিবৰ এটি ব্যৱস্থা কৰিছে, এনে ভাৱ দেখুৱাইছে যে তেওঁলোকৰ দাবীকে মানি লোৱা হ'ল অন্ততঃ নামত। ইফালে আকৌ দেশে দেশে এই জাতীয় সংগ্ৰাম যিমান অগুৱাই গৈছে, তাৰ লগে লগে স্পষ্ট হৈ উঠিছে সমাজৰ ভিতৰুৱা সংগ্ৰাম, প্ৰত্যেক দেশৰ ভিতৰত বেলেগ বেলেগ শ্ৰেণীসমূহৰ ভিতৰত শ্ৰেণী সংগ্ৰাম। সেই সংগ্ৰামত সামন্ত শ্ৰেণী আৰু অলপ পৰিমাণে ধনী শ্ৰেণীও লাহে লাহে আৰু বেছিকৈ সাম্ৰাজ্যবাদী প্ৰভুসকলৰ পক্ষত গৈ থিয় দিছে।

মন্তব্য (অক্টোবৰ ১৯৩৮) :

পেলেষ্টাইনত আৰবী জাতীয়তাবাদ, ইহুদী ধৰ্মৰাজ্যবাদ, আৰু বৃটিছ সাম্ৰাজ্য-বাদৰ ভিতৰত এটি তিনিকোণীয়া সংঘাত চলিব ধৰিছে, আৰু ক্ৰমে ই বৰ জটিল হৈ আহিছে। জাৰ্মানীত নাজী সকলে ক্ষমতা লাভৰ কাৰণে, মধ্য ইয়ুৰোপৰপৰা বহুতো ইহুদী খেদি পঠোৱা হৈছে, ফলত পেলেষ্টাইনৰ ওপৰত ইহুদীসকলৰ হেচাঁ বাঢ়ি গৈছে। আৰবসকলৰ মনত আশঙ্কা বাঢ়ি গ'ল যে ইহুদী ভগনীয়াৰ সোঁতে এনে প্ৰশ্ন বানপানীৰ সৃষ্টি কৰিব যে তাত তেওঁলোক একেবাৰেই উটি ভাঁহি যাব আৰু পেলেষ্টাইন ইহুদীসকলৰ কৰলত পৰি যাব। আৰবসকলে ইয়াৰ বিৰুদ্ধে

যুদ্ধ কৰিলে আৰু তেওঁলোকৰ মাজত কিছুমান সংগ্ৰামমূলক কাৰ্যত লিপ্ত হ'ল। পিছৰ কালছোৱাত অতি উগ্ৰ ইহুদী ধৰ্মৰাজ্যবাদীসকলে তেনে ধৰণৰ কাৰ্যৰ দ্বাৰা প্ৰতিশোধ ললে।

১৯৩৬ চনৰ এপ্ৰিল মাহত পেলেষ্টাইনৰ আৰবসকলে ধৰ্মঘট ঘোষণা কৰিলে। এইটো নষ্ট কৰিবৰ কাৰণে বৃটিছ কৰ্তৃপক্ষই সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিলে—তথাপি এই ধৰ্মঘট ছয়মাহ চলিছিল। সুবিখ্যাত নাজীসকলৰ উদাহৰণ অনুকৰণ কৰি ডাঙৰ ডাঙৰ বন্দীশাল গঢ়ি উঠিল। এইবোৰ প্ৰচেষ্টা বিফল হ'ল, তাৰ পিছত চৰকাৰে পেলেষ্টাইনৰ ঘটনাৱলীৰ তদন্ত কৰিবলৈ এটি ৰাজকীয় কমিচন (Royal Commission) নিয়োগ কৰিলে। এই কমিচনে বিপৰীত জনাই দিলে আমাৰ আদেশত (ইয়াত লীগ্-অব্-নেচনচ্ৰ) এই দেশত শাসনৰ দায়িত্ব গ্ৰহণ ব্যৰ্থ হৈছে, আৰু এই দায়িত্ব পৰিত্যাগ কৰাই উচিত। কমিচনে অন্য প্ৰস্তাৱ কৰিলে যে দেশখন এনেদৰে তিনিভাগত বিভক্ত কৰাৰ দৰকাৰ, আৰবসকলৰ নিয়ন্ত্ৰণাধীন এটি ডাঙৰ অঞ্চল, ইহুদীসকলৰ নিয়ন্ত্ৰণাধীন সমুদ্ৰপাৰৰ এটি সৰু অঞ্চল আৰু তৃতীয় আৰু এটি অঞ্চল, যাৰ মাজত থাকিব জেৰুজালেম চহৰ আৰু সেইখন থাকিব বৃটিছৰ অধীনত। আৰবেই হওক বা ইহুদীয়েই হওক, প্ৰায় প্ৰত্যেকেই এনেদৰে দেশ বিভাজনৰ পৰিকল্পনাৰ বিৰোধিতা কৰিছিল, কিন্তু বহুতো ইহুদীয়ে আকৌ এই প্ৰস্তাৱ কাৰ্যক্ষেত্ৰত পৰীক্ষা কৰি চাবলৈ মান্তি হ'ল। যি হওক আৰবসকলে এই পৰিকল্পনাৰ ওচৰেদিয়েই নগ'ল, আৰু তেওঁলোকৰ জাতিগত বিৰোধ বাঢ়িব ধৰিলে। যোৱা কেইমাহমানৰ ভিতৰত ই এটা বিৰাট জাতীয় আন্দোলনৰ ৰূপ ধাৰণ কৰি বৃটিছ শাসনৰ বিৰুদ্ধে প্ৰত্যক্ষ শত্ৰুতা আচৰণ কৰিছে আৰু লাহে লাহে পেলেষ্টাইনৰ ডাঙৰ ডাঙৰ অঞ্চলবোৰ বৃটিছৰ কৱলৰপৰা মুক্ত হৈ আৰবী জাতীয়তাবাদীসকলৰ হাতত পৰিছেগৈ। দেশখনক পুনৰায় দখল কৰিবৰ কাৰণে বৃটিছ চৰকাৰে নতুন সৈন্যদল প্ৰেৰণ কৰিছে আৰু তাত এতিয়া এটি ভয় আৰু আশঙ্কাজনক পৰিস্থিতিৰ উদ্ভৱ হৈছে।

দুৰ্ভাগ্যক্ৰমে আৰবসকলে অতিশয়ৰূপে সন্ত্ৰাসবাদৰ আশ্ৰয় লৈছে, ইহুদীসকলেও কিছু পৰিমাণে আৰবসকলৰ পদ্ধতিকে অনুসৰণ কৰিছে। বৃটিছ চৰকাৰে নৃশংস হত্যা আৰু ধ্বংসলীলাৰ নীতি অৱলম্বন কৰিছে, উদ্দেশ্য হ'ল, স্বাধীনতাকামী জাতীয় আন্দোলন এনেদৰে মষিমূৰ কৰি দিব। আয়াৰলেণ্ডৰ 'ব্লাক আৰু টেন'ৰ (Black and Tan) যুগত অৱলম্বন কৰা পদ্ধতিকেও জঘন্য পন্থা এতিয়া পেলেষ্টাইনত অনুসৰণ কৰা হৈছে আৰু বাতৰি আদান-প্ৰদানৰ ওপৰত কঢ়া 'চেন্সৰ'ৰ ব্যৱস্থা কৰাত তাৰ ঘটনাৱলীৰ বিষয়ে বাকী জগতে একোকে নেজানিলে। তথাপি কিছুমান কোনো প্ৰকাৰে বাহিৰলৈ আহিছে সিও বৰ বেয়া। মই এই মাত্ৰ পঢ়িলো, বৃটিছৰ সামৰিক কৰ্মচাৰীসকলে সন্দেহজনক আৰবসকলক দলে দলে কাঁইটীয়া তাঁৰৰ বেৰা দি ডাঙৰ লোহাৰ গড়ালত সুমুৱাই ৰাখে—এনে প্ৰত্যেকটি গড়ালত ৫০ৰ পৰা ৪০০ জন বন্দী ৰাখে, আৰু এওঁলোকৰ আত্মীয়-স্বজনসকলে এওঁলোকক খাদ্যাদি যোগায়—ঠিক যেনেদৰে গড়ালত আবদ্ধ থকা পশুক মানুহে আহাৰ যোগায়।

ইতিমধ্যে গোটেই আৰব জগত ঘৃণা আৰু ক্ৰোধত জ্বলি উঠিল, আৰু প্ৰাচ্য জগতৰ মুছলমান অ-মুছলমান দুয়ো অঞ্চলেই স্বাধীনতাৰ সংগ্ৰামত লিপ্ত এটি জাতিক ধ্বংস কৰাৰ উদ্দেশ্যে এনেধৰণৰ পাশৱিক পন্থা অৱলম্বন কৰা হোৱা দেখি গভীৰ-ভাৱে বিচলিত হৈ পৰিছে। এই লোকসকলে অৱশ্যেই বহুতো জঘন্য আৰু হিংসাত্মক কাম কৰিছে ঠিক ; কিন্তু এইটো মনত ৰাখিব লাগিব যে তেওঁলোকে প্ৰকৃত-পক্ষে জাতীয় স্বাধীনতাৰ কাৰণে যুদ্ধ কৰিছে, আৰু বৃটিছ সাম্ৰাজ্যবাদীসকলৰ সামৰিক শক্তিৰ হাতত নিষ্ঠুৰভাৱে নিৰ্যাতিত হৈছে।

বৰ দুখ আৰু পৰিতাপৰ কথা হৈছে এয়ে যে-দুটা নিপীড়িত জাতি, ইহুদী আৰু আৰবসকল, পৰস্পৰৰ ভিতৰত সংঘৰ্ষত লিপ্ত হৈছে। ইহুদীসকল ভয়াবহ অগ্নি পৰীক্ষাৰ মাজেদি য়ুৰোপত চলিব ধৰিছে--য'ত তেওঁলোকৰ অগণন নৰ-নাৰী ভগনীয়াৰ দলত পৰিণত হৈছে, যিসকলৰ কোনো দেশতে ঠাই নাই—তাত প্ৰত্যেকেই তেওঁলোকৰ প্ৰতি সহানুভূতি দেখুৱায়। পেলেষ্টাইনৰ প্ৰতি তেওঁলোক কিয় আকৃষ্ট হৈছে সেইটো বেচ বুজিব পাৰি। আৰু এইটোও ঠিক যে ইহুদী ভগনীয়াসকলে এই দেশৰ উন্নতি সাধন কৰিছে, ইয়াত শিল্প বাণিজ্যৰ ভেটি বান্ধিছে, আৰু সাধাৰণ জীৱন যাত্ৰাৰ মান উন্নত কৰিছে। কিন্তু আমি মনত ৰাখিব লাগিব যে পেলেষ্টাইন হৈছে আচলতে আৰবসকলৰ বাসভূমি আৰু ইয়াক এই ধৰণেই ৰাখিব লাগিব আৰু আৰবসকলৰ তেওঁলোকৰ নিজদেশত এনেদৰে নিৰ্যাতিত আৰু মৰিমুৰ কৰাতো নচলিব। স্বাধীন পেলেষ্টাইনৰ এই দুই জাতিয়ে পৰস্পৰৰ ন্যায্য অধিকাৰ আৰু স্বাৰ্থৰ অন্যায়ৰূপে হেতা-ওপৰা নকৰি পৰস্পৰৰ ভিতৰত ভালদৰে সহযোগিতা কৰি, এখন উন্নত দেশ গঢ়ি তোলাত দুয়ো দুয়োকে সহায় কৰিব পাৰিলেহেঁতেন।

দুৰ্ভাগ্যবশতঃ ভাৰত আৰু প্ৰাচ্য দেশলৈ অহাৰ নৌ আৰু বায়ুপথৰ মাজত অৱস্থিত বুলি পেলেষ্টাইনে বৃটিছ সাম্ৰাজ্যৰ পৰিকল্পনাৰ ভিতৰত এটি গুৰুতৰ প্ৰয়োজনীয় ঠাই অধিকাৰ কৰি আছে। এই পৰিকল্পনা কাৰ্যত পৰিণত কৰিবৰ কথাত আৰব আৰু ইহুদী দুয়ো জাতিকেই শোষণ কৰা হৈছে, ভৱিষ্যত অন্ধকাৰ। আগৰ দেশ বিভাজনৰ পৰিকল্পনা এতিয়া পৰিত্যাগ কৰাৰ সম্ভাৱনা দেখা গৈছে, আৰু এখন ডাঙৰ আৰবীয় যুক্তৰাষ্ট্ৰ—য'ত ইহুদীসকলৰ স্বায়ত্ত-শাসিত অঞ্চলো অন্তৰ্ভুক্ত থাকিব—গঠিত হোৱাৰ আলোচনা চলিছে। যা হওক, এইটো নিশ্চিত যে পেলে-ষ্টাইনত আৰব জাতীয়তাবাদ মৰিমুৰ নহব, আৰু কেৱল মাথোন আৰব-ইহুদী সহযোগিতা আৰু সাম্ৰাজ্যবাদ বিলোপ, এই ভিত্তিতেই দেশখনৰ ভৱিষ্যত ৰচনা হব পাৰে।

— ——— —

১৬৮

আৰব দেশ—মধ্যযুগৰপৰা বৰ্ত্তমান যুগলৈ

৩ জুন, ১৯৩৩

আৰব অঞ্চলৰ আন আন দেশৰ কথা তোমাক কৈছোঁ। কিন্তু আৰব দেশখনৰ সম্বন্ধে এতিয়ালৈকে একো কোৱা নাই। আৰবী ভাষা, আৰবী সংস্কৃতি আৰু ইছলাম ধৰ্মৰ জন্ম ঠাই হৈছে এই দেশখন। আৰবী সংস্কৃতিয়ে ইয়াতে জন্মলাভ কৰি সকলোতে সিঁচৰতি হৈ পৰিছে অথচ দেশখন নিজে অতি পিছ পৰা আৰু মধ্যযুগীয় হৈয়ে থাকিল। আমাৰ আধুনিক সভ্যতাৰ মতে মিচৰ, চিৰিয়া, পেলেষ্টাইন, ইৰাক আদি আৰব অঞ্চলৰ এই ওচৰা-উচৰি দেশবোৰৰ সকলোৱেই ইয়াক বহুদূৰ পিছ পেলাই আগবাঢ়ি গৈছে। আৰব এখন বৰ বিশাল দেশ, ইয়াৰ আকাৰ আৰু আয়তন প্ৰায় ভাৰতবৰ্ষৰ দুই তৃতীয়াংশৰ সমান। অথচ এই গোটেই দেশখনৰ মুঠ লোকসংখ্যা মাত্ৰ চল্লিশৰপৰা পঞ্চাশ লাখৰ সমান, তাৰ মানে ভাৰতবৰ্ষৰ মুঠ লোকসংখ্যাৰ প্ৰায় সত্তৰ বা আশীভাগৰ এভাগ। ইয়াৰপৰাই বুজা যায় এই দেশৰ বসতি বৰ ঘন নহয়; প্ৰকৃততে ইয়াৰ বেছি ভাগ ঠাইয়ে হৈছে মৰুভূমি। এই কাৰণেই ধনলোভী দিগ্বিজয়ীসকলে কোনো দিনেই এই দেশত পদাৰ্পণ কৰা নাই; গোটেই পৃথিৱী যেতিয়া আধুনিক সভ্যতাৰ পোহৰলৈ দিনৰ পিছত দিনে সলনি হব ধৰিছে, তাৰে মাজতে থাকি এই দেশখন চিৰদিন সেই মধ্যযুগীয় এটি স্মৃতিচিহ্ন হৈ জীয়াই আছে, ইয়াত ৰেলৰে, টেলিগ্ৰাফ বা টেলিফোন একোৱেই নাই। ইয়াৰ অধিবাসীসকলৰ বেছিভাগেই আছিল অৰবী যাযাবৰ জাতিৰ মানুহ, তেওঁলোকৰ নাম বেদুইন। বালিময় মৰুভূমিৰ বুকুৰ ওপৰেদি এওঁলোকে ইকালে সিকালে ঘূৰি ফুৰে। এওঁলোকৰ বাহন হৈছে 'মৰুভূমিৰ জাহাজ' উট, যাক আছিল এওঁলোকৰ অতি সুন্দৰ আৰবী ঘোঁৰা—সৌন্দৰ্য আৰু বেগৰ কাৰণে এইবোৰ পৃথিৱী বিখ্যাত। এওঁলোকৰ সমাজ আছিল পিতৃপ্ৰধান। হাজাৰ হাজাৰ বছৰ ধৰি সেই সমাজৰ জীৱন-যাত্ৰা ঠিক একে ভাৱেৰে চলি আহিছে। তাৰ পিছত আহিল বিশ্বযুদ্ধ; পৃথিৱীৰ আৰু নানান বস্তুৰ দৰে সেই জীৱন যাত্ৰাকো ই একেবাৰে সলনি কৰি দি গ'ল।

মানচিত্ৰৰ ফালে চালেই আৰবৰ বিৰাট উপদ্বীপটো দেখিবা। ইয়াৰ একালে লোহিত সাগৰ, আনকালে পাৰস্য উপসাগৰ। ইয়াৰ দক্ষিণে আৰব সাগৰ, উত্তৰত পেলেষ্টাইন, ট্ৰান্স-জৰ্ডান আৰু চিৰিয়া মৰুভূমি আৰু উত্তৰ পূব কোণত ইৰাকৰ

সেউজীয়া উৰ্ব্বৰ উপত্যকা ভূমি। পশ্চিম সমুদ্ৰতীৰত, লোহিত সাগৰৰ ঠিক পাৰতে হৈছে হেজাজ প্ৰদেশ, ইচলাম ধৰ্ম্মৰ আদিভূমি। হাজাৰ হাজাৰ তীৰ্থযাত্ৰী প্ৰত্যেক বছৰেই এই বন্দৰলৈ আহি নামে। আৰব দেশৰ মাজ ভাগত আৰু পূবফালে একেবাৰে পাৰস্য সাগৰলৈকে জুৰি আছে নেজ্দ্। হেজাজ আৰু নেজদেই হৈছে আৰবৰ প্ৰধান দুটি বিভাগ। দক্ষিণ পশ্চিমত আছে ইয়েমেন, পুৰণি ৰোম সাম্ৰাজ্যৰ সময়ত ইয়াৰ নাম দিয়া হৈছিল আৰবীয় ফেলিক্স, অৰ্থাৎ সৌভাগ্যশালী আৰব বা সুখী আৰব। আৰবৰ বেছি ভাগ ঠায়েই মৰুভূমি, কেৱল এই অঞ্চলটোৰেই উৰ্ব্বৰ আৰু শস্যশালী ঠাই—সেয়ে এই নাম। এই অঞ্চলত মানুহৰ বসতি ঘন, সেইটো অনুমান কৰিবই পাৰি। প্ৰায় দক্ষিণ পশ্চিম প্ৰান্তত আছে এডেন্। এইখন হৈছে বৃটিছৰ দখলত, প্ৰাচ্য আৰু পাশ্চাত্য জগতৰ ভিতৰত যিমানবোৰ জাহাজ অহা-যোৱা কৰে সকলোৰেই এই বন্দৰত এবাৰ বৈ যায়।

বিশ্বযুদ্ধৰ আগতে প্ৰায় গোটেই দেশখনেই তুৰ্কীৰ অধীনত আছিল, অন্ততঃ তুৰ্কীক তেওঁলোকৰ প্ৰভু বা ওপৰত বুলি স্বীকাৰ কৰিছিল। কিন্তু নেজদ অঞ্চলত আমীৰ ইবনে চৌদে তেতিয়া নিজকে স্বাধীন ৰজা বুলি প্ৰতিষ্ঠিত কৰি লৈছিল আৰু অলপ অলপকৈ দেশ জয় কৰি পাৰস্য উপসাগৰৰ ফালে ক্ৰমে আগুৱাই গৈছিল। ইবনে চৌদ আছিল মুছলমানসকলৰ এটি বিশেষ দল বা সম্প্ৰদায়ৰ নেতা। এই সম্প্ৰদায়টোৰ নাম 'ওৱাহাবি' সম্প্ৰদায়, অষ্টাদশ শতাব্দীত আব্দুল ওৱাহাবে ইয়াক প্ৰতিষ্ঠা কৰে। প্ৰকৃততে ইচলাম ধৰ্ম্মৰ সংস্কাৰ সাধনৰ কাৰণেই এওঁলোকৰ আন্দোলন; কিছুপৰিমাণে খ্ৰীষ্টান ধৰ্মত পিউৰিটানসকলৰ দৰে। মুছলমান জনসাধাৰণৰ ভিতৰত বহুতো উৎসৱ আৰু পয়গম্বৰৰ পূজা বৰ বেছিকৈ বিয়পি পৰিছিল, তেওঁলোকে বিশিষ্ট পীৰ পয়গম্বৰসকলৰ কবৰ আৰু দেহৰ অৱশেষক পূজা কৰিছিল। ওৱাহাবিসকল আছিল ইয়াৰ বিৰোধী।তেওঁলোকে ইয়াক পৌত্তলিকতা আখ্যা দিছিল। য়ুৰোপৰ ৰোমান কেথলিকসকলে সেই সকলৰ মূৰ্তি আৰু দেহৰ অৱশেষক পূজা কৰে বুলি পিউৰিটানসকলে তেওঁলোকক 'পৌত্তলিক' নাম দিছিল। এতেকে দেখা যায় যে আৰবৰ আন আন মুছলমানসকলৰ লগত ওৱাহাবিসকলৰ যি সংগ্ৰাম তাৰ মূলতে কেৱল ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাই নহয়—ধৰ্মগত বিৰোধো তাৰ লগত আছিল।

বিশ্বযুদ্ধৰ সময়ত আৰবত বৃটিছসকলে বিষম চক্ৰান্ত আৰম্ভ কৰিলে, আৰবৰ সকলো চৰ্দাৰ আৰু নেতাসকলৰ সহায়ত আৰু উপঢৌকন দি হাত কৰিবৰ কাৰণে বৃটেনৰ আৰু ভাৰতৰ টকা তাত পানীৰ দৰে চালিব ধৰিলে। এই চৰ্দাৰসকলক যিমান ৰকমে পাৰে আশ্বাস আৰু প্ৰতিশ্ৰুতি দিলে বৃটেনে আৰু তুৰস্কৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ এওঁলোকক উচতাই দিলে। বহু সময়ত দেখা গল দুজন চৰ্দাৰে পৰস্পৰৰ ভিতৰত প্ৰতিদ্বন্দ্বিতা চলাইছে, ইজনে সিজনৰ লগত যুঁজ কৰিছে, আৰু দুয়োজনেই যুঁজ চলাইছে বৃটেনৰ গোপন অৰ্থৰ সহায়ত, শেষলৈ বৃটেনৰ উচতনি মক্কাৰ চৰীফ হুচেইনে আৰব বিদ্ৰোহৰ ধ্বজা উৰাই দিলে। হুচেইন নিজে হজৰত মহম্মদৰ বংশধৰ। এতেকে আৰব দেশত তেওঁৰ প্ৰচুৰ সন্মান আছিল;

ইয়াৰ কাৰণেই বৃটেনে তেওঁক যোগ্য পুৰুষ বুলি ধৰি লৈছিল। প্ৰতিশ্ৰুতি দিছিল গোটেই আৰব দেশক একত্ৰ কৰি তেওঁকেই এই ৰাজ্যৰ ৰজা কৰি দিয়া হ'ব।

ইবনে চৌদ আছিল বৰ বেছি বুদ্ধিমান মানুহ। তেওঁৰ হেঁচাত পৰি বৃটেনে তেওঁক স্বাধীন ৰজা বুলি স্বীকাৰ কৰিলে। বৃটেনৰপৰা যি অলপ অৰ্থ সাহায্যও পায় তাক তেওঁ গ্ৰহণ কৰিবলৈ ৰাজী হ'ল, তাৰ পৰিমাণ প্ৰতি মাহত ৫,০০০ পাউণ্ড অৰ্থাৎ মাহে প্ৰায় ৭০,০০০ টকা। ইয়াৰ সলনি বৃটেনক তেওঁ আশ্বাস দিলে, যুদ্ধত তেওঁ নিৰপেক্ষ থাকিব, কোনো পক্ষতে যোগ নিদিব। এতেকে আনবোৰে যুদ্ধ কৰিব ধৰিলে আৰু সেই সময়তে তেওঁ নিজৰ প্ৰতিপত্তি নিগাজি কৰি ললে; শক্তি বঢ়াই ললে—অৱশ্যে কামটো সম্পন্ন হয় বহুখিনি বৃটিছৰ টকাৰ জৰিয়তে। তুৰস্কৰ চুলতান তেতিয়াও খলিফা বুলি স্বীকৃত—তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল বুলি মুছলমান দেশসমূহ ইতিমধ্যে, চৰীফ হুচেইনৰ ওপৰত ক্ৰোধান্বিত হৈছে। ভাৰতবৰ্ষও সেই দলত। ইবনে চৌদ কেৱল নিৰপেক্ষ হৈ মনে মনে বহি আছে, পৃথিৱীৰ অৱস্থাৰ যি পৰিবৰ্তন হৈছিল সেইটো ভালদৰে কামত লগাই ললে তেওঁ। লাহে লাহে নিজে এটি বৰ সুনাম প্ৰতিষ্ঠিত কৰিলে, সকলোৱে জানিলে তেৱেঁই হৈছে মুছলমান ধৰ্মৰ কাপ্তেন—একমাত্ৰ ভৰসাৰ থল।

দক্ষিণত আছিল ইয়েমেন। ইয়েমেনৰ ৰজা বা ইমামে যুদ্ধৰ প্ৰথমৰপৰাই একেবাৰে শেষ দিনটোলৈকে তুৰস্কৰ প্ৰতি অচল নিষ্ঠা দেখুৱালে, একোটেই চুলতানৰ পক্ষ ত্যাগ নকৰিলে। কিন্তু যুদ্ধক্ষেত্ৰৰপৰা তেওঁ আছিল বহুদূৰত—বেছি একো কৰিবৰ তেওঁৰ সাধ্য নাছিল। তুৰস্কৰ পৰাজয়ৰ পিছত তেওঁ আপোনাআপুনি স্বাধীন হৈ প'ল। ইয়েমেন এতিয়াও স্বাধীন ৰাষ্ট্ৰ।

যুদ্ধ যেতিয়া শেষ হ'ল, তেতিয়া দেখা গ'ল আৰবত ইংৰাজসকলেই প্ৰভুত্ব কৰিছে, হুচেইন আৰু ইবনে চৌদ দুয়োজনকে তেওঁলোকৰ স্বাৰ্থ সিদ্ধিৰ যন্ত্ৰ স্বৰূপে ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে। ইবনে চৌদ বুদ্ধিমান লোক, বৃটেনৰ হাতৰ পুতলা হোৱাৰ মতলব তেওঁৰ নাছিল। চৰীফ হুচেইনৰ পৰিয়ালটো কিন্তু হঠাতে একেবাৰে ৰাজসিক মহিমাৰে মণ্ডিত হৈ উঠিল—তাৰ পিছত অৱশ্যে আছিল ইংৰাজ শক্তিৰ চেষ্টা। হুচেইন নিজে হেজাজৰ ৰজা হ'ল, এজন ল'ৰা ফয়জল হ'ল, চিৰিয়াৰ ৰজা, আৰু এজন ল'ৰা আব্দুল্লাক, বৃটিছসকলে ট্ৰান্স-জৰ্ডান বুলি যি নতুন এখন ৰাজ্য গঠন কৰিছে তাৰ গাদী পাতি দিলে। এওঁলোকৰ এই মহিমা অৱশ্যে বেছিদিন নিটিকিল। ফৰাচীসকলে ফয়জলক চিৰিয়াৰপৰা খেদি দিলে, ইবনে চৌদৰ ওৱাহাবি সৈন্যৰ অভিযানৰ ফলত হুচেইনৰ ৰাজখিনিৰ নগৰৰ পগড়ি উৰি গ'ল। ফয়জল আকৌ নিৰুপায় হৈ পৰা যেন দেখি, বৃটিছসকলে আকৌ তেওঁক উঠাই দিলে, ইৰাকৰ ৰজাৰ কামটো দি। ফয়জল এতিয়াও ইৰাকৰ ৰজা, বৃটিছসকলৰ অনুগ্ৰহত অৱশ্যে আজিও তেওঁ তাতেই ৰাজত্ব কৰি আছে।

হুচেইনে অলপ কেইদিনমান মাত্ৰ হেজাজত ৰাজত্ব কৰিছিল। তাৰ মাজতে ১৯২৪ চনত আঙ্গোৰাত তুৰ্কী পাৰ্লিয়ামেণ্টে খলিফাৰ পদ উচ্ছেদ কৰি দিলে। খলিফা বুলি আৰু তেতিয়া কোনো নাছিল। হুচেইনৰ দুঃসাহসৰ অভাৱ নাছিল,


ইবনে চৌদৰ
আৰৱ সাম্ৰাজ্য
বৃটিছ প্ৰভাবান্বিত অঞ্চল
প্যালেষ্টাইন
ট্ৰান্স জৰ্ডন
চুয়েজ
চিৰীয় মৰুভূমি
কুৱেৎ
বাহৰিন
পাৰস্য উপসাগৰ
মদিনা
রিয়াদ
মক্কা
জেড্ডা
লোহিত সাগৰ
বৃহৎ অৰবীয় মৰুভূমি
ইয়েমেন
ইটালীয় ইথিওপিয়া
এডেন

তেওঁ একে জাপে সেই শূন্য সিংহাসনত বহি পৰিল, ঘোষণা কৰিলে—তেৱেঁই ইচলাম ধৰ্মত খলিফা। ইবনে চৌদে দেখিলে ইমান দিনৰ মূৰত তেওঁৰ সুযোগ আহিছে। জাতীয়তাবাদী আৰব আৰু আন্তৰ্জাতিক মুছলমান সম্প্ৰদায়, সকলোকেই তেওঁ হুছেইনৰ বিৰুদ্ধে অভিযোগ জনাই সজাগ কৰি তুলিলে। হুচেইন দুঃসাহসী, অনধিকাৰ আৰু জোৰেৰে খলিফাৰ আসনত বহিছে, অথচ সেই আসন ন্যায়মতে তেওঁৰ নহয়—হুচেইনৰ বিৰুদ্ধে তেওঁ হৈ উঠিল ইচলামৰ ৰক্ষাকৰ্ত্তা বীৰ। অতি যত্নেৰে প্ৰচাৰ কাৰ্য চলাই আন আন সকলো দেশত মুছলমানসকলৰ সমৰ্থন তেওঁ আয়ত্ত কৰি ললে। ভাৰতবৰ্ষৰপৰাও খিলাফত কমিটিয়ে তেওঁকেই তেওঁলোকৰ শুভেচ্ছা জ্ঞাপন কৰিলে। কোনফালে বতাহ বৈছে, বৃটিছসকলে সেইটো ভালদৰে লক্ষ্য কৰি থাকিল। তেওঁলোকে বুজি পালে ইমান দিনে যিজনক তেওঁলোকে পিছৰপৰা উৎসাহ দি আহিছে, তেওঁৰ জয়ৰ আৰু আশা নাই। এইবোৰ দেখি শুনি তেওঁলোকে হুছেইনৰ কাষৰপৰা নিবলে আঁতৰি গ'ল। হুচেইনক যি অৰ্থ-সাহায্য তেওঁলোকে দিছিল, সিও বন্ধ হৈ গ'ল। বেচেৰা হুচেইনক ইমান দিনে বহু আশ্বাস আৰু বহুতো প্ৰতিশ্ৰুতি তেওঁলোকে দি আহিছিল, হঠাৎ তেওঁ অবাক হৈ দেখিলে তেওঁৰ লগ বা সমল বুলিবলৈ আৰু একোৱেই নাই, ইফালে প্ৰবল এজন শত্ৰুৱে তেওঁক আক্ৰমণ কৰিবলৈ খেদি আহিছে।

কেইমাহ মানৰ ভিতৰতে ১৯২৪ চনৰ অক্টোবৰ মাহত ওৱাহাবিসকলে মক্কা চহৰত প্ৰৱেশ কৰিলেহি; তেওঁলোকৰ ধৰ্মমতৰ প্ৰমাণ স্বৰূপে কেইটামান কবৰ তেওঁলোকৰ নষ্ট কৰি পেলালে। এই অনাচাৰৰ বাতৰি পাই মুছলমান দেশবোৰত বৰ চাঞ্চল্যৰ সৃষ্টি হ'ল, ভাৰতবৰ্ষতো বৰ বিক্ষোভে দেখা দিলে। ইয়াৰ পিছৰ বছৰ ইবনে চৌদে মদিনা আৰু জেড্ডা দখল কৰিলে। হুচেইন আৰু তেওঁৰ পৰিয়াল-লক হেজাজৰপৰা খেদি পঠোৱা হ'ল। ১৯২৬ চনৰ প্ৰথম ভাগত ইবনে চৌদে নিজকে হেজাজৰ ৰজা বুলি ঘোষণা কৰিলে। তেওঁৰ এই নতুন পদটি সুপ্ৰতি-ষ্ঠিত কৰিবৰ আৰু বিদেশৰ মুছলমানসকলৰ সমৰ্থন লাভ কৰিবৰ উদ্দেশ্যে তেওঁ এখন নিখিল বিশ্ব মুছলমান কংগ্ৰেছৰ আয়োজন কৰিলে। ১৯২৬ চনৰ জুন মাহত মক্কা চহৰত এই কংগ্ৰেছৰ অধিবেশন হ'ল। এই কংগ্ৰেছত তেওঁ আন আন সকলো দেশৰপৰাও মুছলমান প্ৰতিনিধি সকলক আমন্ত্ৰণ কৰিছিল। নিজে খলিফা হৈ বহাৰ কোনো অভিপ্ৰায় তেওঁৰ আছিল বুলি মনে নধৰে, তদুপৰি তেওঁ নিজে ওৱাহাবি হ'ব বিচাৰিলেও বহুতো মুছলমানেই তেওঁক খলিফা বুলি স্বীকাৰ কৰিবলৈ ৰাজী নহব। মিচৰৰ ৰজা ফুৱাদৰ জাতীয়তা বিৰোধী আৰু স্বৈৰতন্ত্ৰী শাসনৰ কথা আমি আগতে দেখিছোঁ, তেওঁৰ অৱশ্যে খলিফা হবৰ কাৰণে বৰ আগ্ৰহ আছিল। কিন্তু তেওঁক খলিফা বুলি মানিবলৈ কোনো ৰাজী নহয়—আনকি মিচৰৰ তেওঁৰ নিজৰ প্ৰজাসকলেও। হুচেইন খলিফাৰ আসনত উঠি বহিছিল, যুদ্ধত পৰাজিত হোৱাৰ পিছত তেওঁ সেই আসন এৰি দিলে।

যতোৰ সেই ইচলামী কংগ্ৰেছত বিশেষ কোনো জৰুৰী সিদ্ধান্ত স্থিৰ নহ'ল। তেনেধৰণৰ কিবা এটা কৰিবৰ কাৰণেও সম্ভৱতঃ সেইখন আহ্বান কৰা হোৱা নাছিল। এইখন আছিল ইবনে চৌদৰ এটি চক্ৰান্ত, নিজৰ প্ৰতিষ্ঠাক অলপ দৃঢ় কৰি লোৱাৰ এটি চেষ্টা, বিশেষকৈ বিদেশী শক্তিসমূহৰ আগত। ভাৰতবৰ্ষৰপৰা

খিলাফত কমিটিৰ প্ৰতিনিধি হৈ যিসকল গৈছিল তেওঁলোক নিৰাশা হৈ আৰু ইবনে চৌদৰ ওপৰত অলপ অসন্তুষ্ট হৈ উভতি আহিল, মোৰ যিমান দূৰ মনত পৰে মৌলানা মহম্মদ আলিও এওঁলোকৰ মাজত আছিল। কিন্তু ইবনে চৌদৰ তাত কোনো লাভ লোকচান নহল। ভাৰতীয় খিলাফত কমিটিৰ সাহায্যৰ যেতিয়া তেওঁৰ প্ৰয়োজন আছিল, তেতিয়া তেওঁ ইয়াৰ মূৰত হাত বুলাই আছিল, এতিয়া আৰু ই তেওঁৰ প্ৰতি প্ৰসন্ন নহলেও তেওঁৰ একো নহয়।

অলপ দিনৰ ভিতৰতে ইবনে চৌদে প্ৰায়ে গোটেই দেশখনকে দখল কৰি ললে। বাকী থাকিল কেৱল ইয়েমেন, সেইখন তাৰ পুৰণি ইমামৰ স্বাধীন ৰাজ্য হৈয়ে থাকিল। দক্ষিণ পশ্চিম কোনৰ এই ঠাইখনৰ বাহিৰে গোটেই দেশখনৰে ইবনে চৌদ ৰজা হৈ ৰহিল। তাৰ পিছত তেওঁ নিজকে নেজদৰ ৰজা বুলি ঘোষণা কৰিলে, এতেকে এইবাৰ তেওঁ হল 'ডবল' ৰজা— হেজাজৰ ৰজা আৰু নেজ্দৰ ৰজা। বিদেশী শক্তিবোৰেও তেওঁক স্বাধীন ৰজা বুলি স্বীকাৰ কৰি ললে। মিছৰত এতিয়াও বিদেশীসকলে নানা ৰকমৰ বিশেষ সুবিধা ভোগ কৰিছে, তেওঁৰ ৰাজ্যত কিন্তু বিদেশীসকলক তেনে ধৰণৰ কোনো অধিকাৰকে তেওঁ নিদিলে। এনেকি সেই ৰাজ্যৰ সীমাত বহি মদ বা আন ধৰণৰ উত্তেজক পানীয় খাবলৈকো তেওঁলোকৰ ক্ষমতা নাছিল।

সৈনিক আৰু যোদ্ধা স্বৰূপে ইবনে চৌদে নিজৰ কৃতিত্ব প্ৰমাণ কৰিছে। এইবাৰ তেওঁ আৰু এটা অতি কঠোৰ কামত লাগিল। তেওঁৰ ৰাজ্যত আধুনিক যুগৰ অৱস্থা আৰু ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ লাগি গ'ল। আৰব দেশৰ পিতৃ-প্ৰধান সমাজৰ সেই পুৰণি যুগত বাস কৰিছিল ; তাৰপৰা একে জাপে ইয়াক আধুনিক যুগলৈ পৰিণত কৰা কথা, বৰ সহজ নহয়। কিন্তু সকলো দেখিশুনি মনত হয়, এই কামটোত ইবনে চৌদে বৰ সাফল্য লাভ কৰিছে। পৃথিৱীজুৰি সকলো লোকেই অবাক হৈ চাইছে। দূৰদৰ্শী ৰাজনীতিবিদ স্বৰূপেও তেওঁ কম বিদিত নহয়।

প্ৰথমতে যি কমিটি তেওঁ সম্পন্ন কৰিলে সি হৈছে দেশৰ মাজত থকা বিশৃংখলা নিবাৰণ। বণিক আৰু তীৰ্থযাত্ৰীসকলৰ আহ-যাহৰ যি ডাঙৰ ডাঙৰ পথবোৰ আছিল, অতি কম দিনৰ ভিতৰতে সেই পথেদি অহা-যোৱা কৰাতো তেওঁ সম্পূৰ্ণ নিৰাপদ কৰি তুলিলে। এইটো এটা তেওঁৰ ডাঙৰ কীৰ্তি। অসংখ্য তীৰ্থযাত্ৰী এইবোৰ পথেদি চলাচল কৰে—ইমান দিনে এওঁলোকে বাটৰ সকলোতেই দস্যুৰ হাতত লাঞ্ছিত হৈছিল—তেওঁলোকে এতিয়া তেওঁৰ ওপৰত স্বভাৱতেই আশীৰ্বাদ বৰ্ষণ কৰিছে।

ইয়াতকৈও বহুবেছি গৌৰৱৰ কাম হৈছে তেওঁৰ—যাযাবৰ বেদুইনসকলক গৃহবাসী কৰি তোলা। হেজাজ জয়ৰ আগৰপৰাই তেওঁ এওঁলোকক স্থায়ী বাসস্থানত বহুৱাই দিয়াতো আৰম্ভ কৰিছিল। এনে কৰিয়েই এখন আধুনিক ৰাষ্ট্ৰৰ ভিত্তি স্থাপন কৰিছিল তেওঁ। বেদুইনসকল স্বভাৱতে অস্থিৰ প্ৰকৃতিৰ, ভ্ৰমণবিলাসী আৰু স্বাধীনতা প্ৰিয়। তেওঁলোকক এক ঠাইত দৃঢ় কৰি বহুৱাতো সহজ কথা নহয়। তথাপি এই কামটো ইবনে চৌদে বহুদূৰ সাফল্য লাভ কৰিছে। দেশৰ শাসন ব্যৱস্থাৰ বহু ফালেদি বহুতো উন্নতি কৰিছে তেওঁ। উৰাজাহাজ, মটৰগাড়ী, টেলিফোন, আদি আধুনিক সভ্যতাৰ বহু নিদৰ্শনৰ প্ৰবৰ্তনৰ আৰবত

হৈছে। অতি লাহে লাহে, তথাপি নিশ্চিত গতিত হেজাজ আধুনিক সাজেৰে সজ্জিত হৈ উঠিছে। মধ্যযুগৰপৰা একে জাপে বৰ্ত্তমান যুগলৈ পাৰ হৈ অহা সহজ কথা নহয়—ইয়াৰ ভিতৰত আটাইতকৈ কঠিন কাম হৈছে মানুহৰ মন আৰু মতামতৰ সলনি কৰাটো। দেশত যি নতুন প্ৰগতি আৰু পৰিবৰ্ত্তনৰ পোহাৰ মেলা হৈছে, আৰবসকলৰ বহুতে তাক ভাল চকুৰে চোৱা নাই, পাশ্চাত্য জগতৰ সকলো নতুন ধৰণৰ কল-কাৰখানা, সেইবোৰৰ ইঞ্জিন, মটৰ গাড়ী, উৰা জাহাজ দেখি তেওঁলোক ভেবা লাগি গৈছে, কয়—এইবোৰ নিশ্চয় চয়তানৰ সৃষ্টি। এইবোৰ নতুন বস্তুৰ আমদানিৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদ জনালে, ১৯২৯ চনত এবাৰ ইবনে চৌদৰ বিৰুদ্ধে বিদ্ৰোহো কৰিলে। ইবনে চৌদে অতি ধীৰ স্থিৰভাৱে, যুক্তিতৰ্কৰে, বুজাই কৰি, এওঁলোকক বুজাই নিজৰ দললৈ আনিবলৈ চেষ্টা কৰিলে, বহুতক নিজৰ কৰীয়া কৰিবলৈ সমৰ্থও হ'ল। কিছুমান তেতিয়াও বিদ্ৰোহী হৈয়ে থাকিল, ইবনে চৌদে তেওঁলোকক যুদ্ধত পৰাজিত কৰিলে।

ইয়াৰ পিছত ইবনে চৌদ আৰু এটি নতুন বিপদত পৰিবলগীয়া হ'ল, সেই বিপদত অৱশ্যে তেতিয়া পৃথিৱী জুৰি সকলো মানুহেই পৰিবলগীয়া হৈছিল। ১৯৩০ চনৰপৰা গোটেই জগত জুৰি ব্যৱসায় বাণিজ্যৰ এটি অভাৱনীয় মন্দা বজাৰৰ আৰম্ভ হৈছে। পাশ্চাত্য জগতৰ ডাঙৰ ডাঙৰ শিল্প প্ৰধান দেশসমূহৰেই ইয়াত ক্ষতি হৈছে সকলোতকৈ বেছি এতিয়াও এই মন্দা বজাৰৰ জোৰ বাঢ়ি গৈছে, এতিয়াও ইয়াৰ হেঁচাত উশাহ-নিশাহ নেপাই তেওঁলোকে ছটফটাই আছে। পৃথিৱীৰ বাণিজ্যৰ বজাৰৰ লগত আৰবৰ বিশেষ সম্পৰ্ক নাই। কিন্তু ইয়াৰ আঘাট তাৰ ওপৰত অন্য ধৰণে পৰিছেহি। বছৰে বছৰে বহুতো তীৰ্থ-যাত্ৰী মক্কালৈ হজ কৰিবলৈ যায়- এওঁলোকৰপৰা যি আয় হয় সেইটোৱেই হৈছে ইবনে চৌদৰ ৰাজ্যৰ প্ৰধান পুঁজি। সাধাৰণতে প্ৰতি বছৰে বিদেশৰপৰা প্ৰায় এক লাখৰ ওচৰা-উচৰি তীৰ্থ-যাত্ৰী মক্কালৈ যায়। ১৯৩০ চনত এওঁলোকৰ সংখ্যা হঠাৎ কমি গৈ হ'লগৈ প্ৰায় চল্লিশ হাজাৰ—এতিয়াও দিনে দিনে ইয়াৰ সংখ্যা কমি যাব ধৰিছে। ইয়াৰ ফলত ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থাটো সম্পূৰ্ণৰূপে সলনি হৈ গৈছে; আৰবৰ বহু ঠাইত মানুহৰ চৰম দৰিদ্ৰতাই দেখা দিছে। টকাৰ অভাৱত ইবনে চৌদ বহুকালৰপৰা অসুবিধাত পৰিবলগীয়া হৈছে, সংস্কাৰ সাধনৰ যিবোৰ পৰিকল্পনা তেওঁৰ আছিল, সেইবোৰৰ বহুতকে আৰু চলাব নোৱাৰা হৈছে। ইবনে চৌদে বিদেশীসকলক তেওঁৰ ৰাজ্যত কোনো অধিকাৰ বা সুবিধা দিবলৈ একেবাৰেই ৰাজী হোৱা নাছিল, তেওঁ ঠিকেই বুজিছিল, দেশৰ প্ৰাকৃতিক সম্পদ তুলিবলৈ বিদেশীসকলক সুযোগ দিলে, লগে লগেই দেশত বিদেশীসকলৰ প্ৰভাৱ প্ৰতিপত্তি বাঢ়ি যাব, আৰু তাৰ ফলতেই আকৌ বিদেশী-সকলে দেশৰ প্ৰত্যেকটি কথাতে হস্তক্ষেপ কৰিবলৈ আহিব, ৰাজ্যৰ স্বাধীনতাও খৰ্ব হৈ যাব। তেওঁৰ সেই ভয় অমূলক নাছিল, উপনিৱেশ আৰু অধীনত থকা দেশ সমূহে যিমান দুখ আজিও সহিছে সেই প্ৰায় সকলোৰেই উৎপত্তি হৈছে এই বিদেশীসকলৰ শোষণ আৰু প্ৰতিপত্তিৰপৰা। ' ইবনে চৌদৰ কথা আছিল—দৰিদ্ৰ হওক, তথাপি স্বাধীন হৈ থকা আমাৰ ভাল, স্বাধীনতা বিসৰ্জন দি তাৰ সলনি সামান্য প্ৰগতি আৰু ধন-সম্পদৰ আমৰ প্ৰয়োজন নাই।

কিন্তু এইবাৰ এই বাণিজ্য সংকটৰ হেঁচাত পৰি ইবনে চৌদে তেওঁৰ নীতি অলপ সলনি কৰিবলৈ বাধ্য হ'ল, বিদেশীসকলক অলপ অচৰপ সুযোগ সুবিধা দিবলৈ তেওঁ এতিয়া প্ৰস্তুত। কিন্তু তথাপি তেওঁৰ ৰাজ্যৰ স্বাধীনতা ৰক্ষা কৰিবৰ কাৰণে তেওঁৰ লক্ষ্য সদায় স্থিৰ আছিল, তাৰ কাৰণে যথোচিত ব্যৱস্থা তেওঁ প্ৰথমৰপৰাই কৰি ৰাখিছিল। এতিয়াৰ কাৰণে এইবোৰ সা-সুবিধা দিয়া হ'ব কেৱল মুছলমান প্ৰতিষ্ঠানবোৰক হে। যেনে—প্ৰথমেই যিকেইটা অধিকাৰ তেওঁ দিছিল, তাৰ ভিতৰত এটি পাইছিল ভাৰতবৰ্ষৰ এটি মুছলমান ধনী সম্প্ৰদায়ে—জেড্ডা বন্দৰৰপৰা মক্কালৈকে এটি ৰেলপথ তৈয়াৰ কৰাৰ অনুমতি এওঁলোকক দিয়া হৈছে, আৰব দেশত এই ৰেল পথটি হব এটি আচৰিত কথা, কাৰণ ইয়াৰ ফলত বছৰি হজ তীৰ্থযাত্ৰীসকলৰ প্ৰকৃতিটোৱেই সম্পূৰ্ণ সলনি হৈ যাব। কেৱল যে তীৰ্থযাত্ৰীসকলৰেই ইয়াৰ কাৰণে উপকাৰ হ'ব সেইটো নহয়—আৰববাসীসকলৰ দৃষ্টিভঙ্গীক আধুনিক কৰি তোলাৰ বিষয়ত ই বহুখিনি সহায় কৰিব।

আৰব দেশত বৰ্ত্তমানে এটি মাথোন ৰেলপথ আছে, ইয়াৰ কথা মই তোমালৈ আগৰ এখন চিঠিত লেখিছোঁ। ইয়াৰ নাম হৈছে হেজাজ ৰেলপথ। চিৰিয়াৰ ভিতৰত আছে বাগদাদ ৰেলপথৰ ষ্টেচন আলেপ্পো—এই হেজাজ ৰেলৰে গাড়ী মদিনাৰপৰা আলেপ্পোলৈকে চলে।

এই চিঠিৰ প্ৰথম ভাগতে মই কৈছোঁ—আৰবৰ দক্ষিণ পশ্চিম অঞ্চলৰ দেশ ইয়েমেনক 'আৰবীয় ফেলিক্স' কোৱা হয়। সঁচাকৈয়ে কিন্তু দক্ষিণ আৰবৰ প্ৰায় পাৰস্য উপসাগৰলৈকে বিস্তৃত এডোখৰ বিৰাট সংখ্যাকে এই নামেৰে অভিহিত কৰা হয়। অথচ সেই অঞ্চলটিৰ পক্ষে নামটো একেবাৰে শোভা পোৱা নাই, কাৰণ সেইখন হৈছে এখন অতিশয় অসাৰুৱা মৰুভূমি। সম্ভৱতঃ পুৰণি কালত ইয়াৰ কথা মানুহে ভালদৰে নাজানিছিল, তাৰ কাৰণেই এই ভুলৰ উৎপত্তি। অলপ দিনৰ আগলৈকে এই অঞ্চলছোৱা আছিল আবিষ্কাৰ নোহোৱালৈকে অজ্ঞাত এখন দেশ। পৃথিৱীৰ বুকুত যি দুই চাৰিখন ঠাইৰ আজিও মানুহে ভু নোপোৱাকৈ আছে, মানচিত্ৰত আঁকিব পৰা নাই, তাৰ ভিতৰত ইও এখন।

১৬৯

ইৰাক: বিমানৰপৰা বোমা নিক্ষেপৰ মাহাত্ম্য

৭ জুন, ১৯৩৩

আৰব অঞ্চলৰ আৰু এখন দেশৰ কথা কবলৈ বাকী আছে। এই দেশখন হৈছে ইৰাক বা মেচোপটেমীয়া। অতিশয় উৰ্বৰ আৰু ধনে জনে সমৃদ্ধিশালী দেশ এইখন। ইয়াৰ একালে টাইগ্ৰীচ আৰু আনফালে ইউফ্ৰেটীচ নদীয়ে ইয়াক আগুৰি ৰাখিছে। কেৱল সেয়ে নহয়—এইখন হৈছে পুৰণি ৰূপকথাৰ দেশ, বাগদাদৰ হাৰুন-আল-ৰচিদৰ আৰব্য উপন্যাসৰ দেশ। ইয়াৰ একালে পাৰস্য আৰু আনফালে আৰবৰ মৰুভূমি—দক্ষিণৰ ফালে আছে ইয়াৰ প্ৰধান বন্দৰ বচৰা। পাৰস্য উপসাগৰৰপৰা নদীৰে অলপ দূৰ আহি এই বন্দৰ পাৰ পাৰি, উত্তৰত ইয়াৰ সীমা তুৰস্কৰ একেবাৰে গাত লাগিছেগৈ। ইৰাক আৰু তুৰস্কৰ সীমা মিলিছেগৈ য'ত তাৰ নাম কুৰ্দীস্থান—কুৰ্দ জাতিৰ লোকসকল তাত বসতি কৰে। এতিয়া এই কুৰ্দসকলৰ বেছি ভাগেই বসতি কৰিছে তুৰস্কৰ এলেকাৰ ভিতৰত; তুৰ্কীসকলৰ বিৰুদ্ধে এওঁলোকে যি স্বাধীনতা সংগ্ৰাম চলাইছে তাৰ কথা তোমাক মই কৈছোঁ। কিন্তু ইৰাকৰ ভিতৰতো বহুতো কুৰ্দ আছে তাত এওঁলোক এটি ডাঙৰ সংখ্যালঘু সম্প্ৰদায় বুলি পৰিগণিত। মচুললৈ তুৰস্ক আৰু ইংলেণ্ডৰ ভিতৰত বহুদিন ধৰি কাজিয়া চলিছে, এতিয়া সেই মচুল আছে ইৰাকৰ এই উত্তৰ কুৰ্দী অঞ্চলৰ অন্তৰ্গত। তাৰমানে এতিয়া সেইখন বৃটেনৰ অধীনত। আচিৰীয়সকলৰ পুৰণি নগৰ আছিল নিনেভে, মচুলৰ কাষতে ইয়াৰ ধ্বংসাৱশেষ দেখিবলৈ পোৱা যায়।

লীগ-অব-নেচনচৰ হাতৰপৰা ইংলেণ্ডে বিকেইখন দেশৰ ওপৰত চকু ৰাখিবলৈ 'মেনডেট' পাইছিল, ইৰাক তাৰ ভিতৰত এখন। লীগৰ ভাষণত ধৰ্মজ্ঞানৰ অভাৱ নাই, সেই ভাষাত 'মেনডেট' কথাটোৰ অৰ্থ হৈছে লীগৰ ফালৰপৰা দিয়া এটা সভ্যতা প্ৰচাৰৰ পৱিত্ৰ কৰ্তব্যৰ ভাৰ। কথাটোৰ ভিতৰুৱা ইঙ্গিত হৈছে এয়ে যে—যি অঞ্চলৰ ওপৰত মেনডেট জাৰি কৰা হল, তাৰ অধিবাসীসকল সিমান সভ্য বা উন্নত নহয়, নিজৰ ভাল বেয়া বুজি চলাৰ যোগ্যতাও তেওঁলোকৰ নাই, এতেকে ডাঙৰ শক্তি সমূহৰ কাৰো ওপৰত ভাৰ দিয়া হৈছে, তেওঁলোকে ইৰাক হাতত ধৰি সেইভাবে চলিবলৈ সহায় কৰিব। ই যেন বাঘৰ ওপৰত ভাৰ দিয়া হ'ল গৰু বা হৰিণৰ পাল এটিক ৰক্ষা কৰিবলৈ। এই মেনডেট জাৰি কৰা হৈছে ওপৰত কৈ অহা অসভ্য দেশৰ প্ৰজাসকলৰ প্ৰাৰ্থনা অনুসৰি এনে ধৰণৰ এটা

কথাও ধৰি লোৱা হয়। মহাযুদ্ধৰ ফলত পশ্চিম এচিয়াৰ যি দেশবোৰে তুৰ্কীৰ শাসনৰপৰা মুক্তি পাইছিল, সেইবোৰৰ 'মেনডেট' গৈ পৰিল বৃটিছ আৰু ফ্ৰান্সৰ কপালত। এওঁলোক দুয়ো পক্ষই ঘোষণা কৰিলে যে এওঁলোকৰ একমাত্ৰ লক্ষ্য হৈছে "জনগণৰ সম্পূৰ্ণ মুক্তি আৰু দেশীয় প্ৰজাসকলৰ স্বাধীন ইচ্ছা আৰু সমৰ্থনৰপৰা পোৱা শক্তিৰ ভেটিত গঠিত শাসনতন্ত্ৰ আৰু চৰকাৰ প্ৰতিষ্ঠা।" এই মহৎ উদ্দেশ্য সাধনৰ কি কি ব্যৱস্থা যোৱা বাৰ বছৰে কৰা হৈছে, চিৰিয়া, পেলেষ্টাইন আৰু ট্ৰান্স জৰ্ডানত তাৰ অলপ নমুনা আমি দেখিছোঁ। বাৰে বাৰে বিদ্ৰোহ বিশৃঙ্খলাই দেখা দিছে তাত, প্ৰজাসকলে অসহযোগ কৰিছে, 'বয়কট' কৰিছে। তেতিয়া প্ৰজাসকলৰ স্বাধীন ইচ্ছা আৰু কৰ্মপ্ৰেৰণাক উৎসাহ দিয়াৰ উদ্দেশ্যেই তেওঁলোকৰ ওপৰত কোনো চিন্তা নকৰাকৈ গুলী চলোৱা হৈছে, তেওঁলোকৰ নেতাসকলক বন্দী আৰু নিৰ্বাসিত কৰা হৈছে ; তেওঁলোকৰ অসংখ্য চহৰ আৰু গাওঁ ভাঙি-পুৰি চাৰখাৰ কৰা হৈছে, বহুসময়ত সামৰিক আইনো জাৰি কৰা হৈছে। ইয়াৰ ভিতৰত অৱশ্যে আচৰিত হবলগীয়া একোৱেই নাই। ইতিহাসৰ একেবাৰে প্ৰথম যুগতেই সাম্ৰাজ্যবাদীসকলে উৎপীড়ন, ধ্বংস আৰু ভয় সৃষ্টিৰ লীলা দেখুৱাই আহিছে। আধুনিক যুগত যি নতুন ধৰণৰ সাম্ৰাজ্যবাদে দেখা দিছে তাৰ নতুনত্ব কেৱল এটি কথাত, ত্ৰাসদৃষ্টি আৰু শোষণ, ই ঠিকমতেই কৰে, কিন্তু সেই কামবোৰ ঢাকি ৰাখিব বিচাৰে ডাঙৰ ডাঙৰ কথাৰ ফুলজাৰিৰ মাজত ; 'ন্যস্ত কৰ্ত্তব্য' 'জনসাধৰণৰ কল্যাণ সাধন', "অনুন্নত জাতিৰ লোকসকলক স্বায়ত্ত-শাসনত শিক্ষিত কৰি তোলা", আদি বচনেৰে। তেওঁলোকে গুলী চলায়, মানুহ মাৰে, ধ্বংস কৰে, অৱশ্যে সেইটো কেৱল যিসকল লোকক গুলী কৰি মৰা হৈছে, তেওঁলোকৰ ভালৰ কাৰণেই। কোনে জানে হয়তো ই ভণ্ডামী সভ্যতা আৰু প্ৰগতিৰ এটা লক্ষণ, কাৰণ ভণ্ডামী মহত্ত্বৰেই গুণানুকীৰ্ত্তন, ইয়াৰ দ্বাৰা প্ৰমাণ হয় সত্য কথাটো অপ্ৰিয়, সেই কাৰণে তাক এনেধৰণে সান্ত্বনা বাক্য আৰু মন ভুলোৱা কথাৰে আৱৰি ৰখা হৈছে, যাতে ইয়াৰ প্ৰকৃত স্বৰূপটো প্ৰকাশ নাপায় কিন্তু তথাপি মনত কেনেবা কেনেবা লাগে, এনে ধৰ্ম্মৰ দোহাই দি কৰা ভণ্ডামী, ইয়াতকৈ নিৰ্ম্মম সত্য কথাও শতগুণে ভাল আছিল।

এইবাৰ দেখা যাওক দেশবাসীসকলৰ ইচ্ছা কিমানদূৰ পূৰণ কৰা হৈছে, ইৰাকত বৃটিছৰ মেনডেটৰপৰা এই দেশখনে স্বাধীনতাৰ পথত কিমানদূৰ আগবাঢ়ি গ'ল। বিশ্বযুদ্ধৰ সময়ত ইংৰাজসকলে ইৰাকত—তেতিয়া তেওঁলোকে ইয়াক বুজিছিল মেচপটেমীয়া—ঘাটি স্থাপন কৰিছিল, ইয়াৰপৰাই তেওঁলোকে তুৰ্কীসকলৰ লগত যুঁজ চলাইছিল। বৃটিছ আৰু ভাৰতীয় সৈন্যেৰে দেশখন বুৰাই পেলালে তেওঁলোকে। ১৯১৬ চনৰ এপ্ৰিল মাহত তেওঁলোকে এটি বৰ ডাঙৰ আঘাট পালে, কুৎ-আল- আমাৰত এটি ডাঙৰ বৃটিছ বাহিনী তুৰ্কীসকলৰ হাতত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হ'ল ; এই বাহিনীৰ অধিনায়ক আছিল টাউও চেণ্ড। এই মেচোপটেমীয়া অভিযানত আগৰপৰা গুৰিলৈকে বৰ বেছি অপচয় আৰু বেয়া ব্যৱস্থা অনুভৱ কৰা হৈছিল। ইয়াৰ মূলতে আছিল ভাৰত চৰকাৰৰ ক্ৰটী, এতেকে অক্ষমতা আৰু মূৰ্খামীৰ কাৰণে বহুত কটুবাক্য সহ্য কৰিবলগীয়া এওঁলোকৰে হ'ল। কিন্তু সেইটো বিয়েই নহওক, বৃটেনৰ হাতত আছিল অশেষ

যুদ্ধৰ সম্ভাৱ, শেষলৈ তেওঁলোকৰেই জয় হ'ল। তুৰ্কীসকলক তেওঁলোকে উত্তৰলৈ খেদি পঠালে, বাগদাদ দখল কৰিলে, শেষলৈ প্ৰায় মচুলত উপস্থিত হ'লগৈ। যুদ্ধ যেতিয়া শেষ হ'ল, তেতিয়া দেখা গ'ল যে ইৰাকৰ গোটেই দেশখনেই বৃটিছ সৈন্যৰ দখললৈ আহিছে।

ইৰাকৰ ওপৰত নজৰ ৰাখিবলৈ বৃটেনক যি 'মেনডেট্' দিয়া হ'ল, ১৯২০ চনৰ প্ৰথম ভাগতেই ইয়াৰ প্ৰথম প্ৰতিক্ৰিয়া দেখা গ'ল। এই ব্যৱস্থাৰ বিৰুদ্ধে দেশত তীব্ৰ প্ৰতিবাদ হ'ল, প্ৰতিবাদৰপৰাই অচিৰে আৰম্ভ হ'ল হাই-কাজিয়া, হাই-কাজিয়া আকৌ পৰিণত হ'ল বিদ্ৰোহত, সেই বিদ্ৰোহ গোটেই দেশতে বিয়পি পৰিল। ১৯২০ চনৰ এই প্ৰথম ভাগতেই মিচৰ, তুৰস্ক, চিৰিয়া, পেলেষ্টাইন ইৰাক আৰু পাৰস্যৰ সকলোতেই একেলগেই বিদ্ৰোহৰ অগনি জ্বলি উঠিছিল, এইটো কিন্তু আচৰিত কথা। ভাৰতবৰ্ষতো ঠিক এইসময়তেই অসহযোগ আন্দোলনৰ আয়োজন চলিছিল। ইৰাকৰ বিদ্ৰোহ শেষলৈ দমন কৰা হ'ল, প্ৰাধান্যতঃ ভাৰতবৰ্ষৰপৰা সৈন্য নি তেওঁলোকৰ জৰিয়তেহে। বহুদিনৰপৰাই ভাৰতীয় সৈন্যবাহিনীৰ কাম হৈ পৰিছে, বৃটিছ সাম্ৰাজ্যবাদীসকলৰ প্ৰয়োজনমতে য'তে যি বেয়া কাম আছে তাক কৰি ফুৰা। এই কাৰণেই মধ্য-প্ৰাচ্য আৰু অন্যান্য দেশত আমাৰ দেশখনৰ প্ৰতি অশ্ৰদ্ধাৰ সীমা চেৰাই গৈছে।

ইৰাকৰ বিদ্ৰোহ বৃটিছসকলে শান্ত কৰিলে, কিছু বল প্ৰয়োগ কৰি, কিছু ভৱিষ্যতত স্বাধীনতা দিম বুলি প্ৰতিশ্ৰুতি দি। এইবাৰ তেওঁলোকে কেইজনমান আৰব মন্ত্ৰী লৈ এটি অস্থায়ী চৰকাৰ প্ৰতিষ্ঠা কৰিলে। কিন্তু প্ৰত্যেকজন মন্ত্ৰীৰ পিছুতেই থাকিল একোজনকৈ বৃটিছ উপদেষ্টা, প্ৰকৃত ক্ষমতা সেয়ে থাকিল তেওঁলোকৰ হাতত। কিন্তু এই মনোনীত মন্ত্ৰীসকলেও এনে উগ্ৰ আৰু অবাধ্য হৈ উঠিল যে এওঁলোককো বৃটিছ বৰমূৰী ।সকলে সহ্য কৰিব নোৱাৰিলে। বৃটিছসকলৰ ইচ্ছা আছিল, ইৰাক সম্পূৰ্ণৰূপে তেওঁলোকৰ আজ্ঞাবহ হব। মন্ত্ৰীসকলৰ কোনো কোনোৱে এই চক্ৰান্তত সহায়তা কৰিবলৈ অস্বীকাৰ কৰিলে। এতেকে ১৯২১ চনৰ এপ্ৰিল মাহত বৃটিছসকলে মন্ত্ৰীসকলৰ ভিতৰত প্ৰধানজনকে গ্ৰেপ্তাৰ কৰি নিৰ্বাসিত কৰিলে। এওঁৰ নাম চৈয়দ তালিব চাহ, মন্ত্ৰীসকলৰ ভিতৰত এৰেঁই আছিল সকলোতকৈ কৰ্মপটু লোক। স্বাধীনতাৰ কাৰণে দেশখন প্ৰস্তুত কৰিবলৈ বৃটেনে এনেদৰে আৰু এখোজ আগুৱাই গ'ল। ১৯২১ চনৰ গ্ৰীষ্মকালত তেওঁলোকে হেজাজৰ ৰজা হুছেইনৰ ল'ৰা ফৈজলক ইৰাকলৈ আনি উপস্থিত কৰালে। ইৰাকবাসীসকলক জনাই দিলে, এওঁক চিনি লোৱা, এৰেঁই ভৱিষ্যতে তোমালোকৰ ৰজা হ'ব। তেওঁৰ হয়তো মনত আছে, ফৈজল চিৰিয়াত ৰজা হবলৈ গৈছিল, কিন্তু ফৰাচীসকলৰ আক্ৰমণত সেই ৰাজত্ব শেষ হ'ল। এতেকে তেতিয়া তেওঁ নিবনুৱা হৈ বহি আছে। বৃটিছৰ তেওঁ বিশ্বাসী বন্ধু বিশ্বযুদ্ধৰ সময়ত তুৰস্কৰ বিৰুদ্ধে আৰবত যি বিদ্ৰোহ হয় তাতো তেওঁৰ বহখিনি হাত আছিল। এতেকে ইৰাকী মন্ত্ৰীসকলৰ এতিয়ালৈকে যি ভাব গতি দেখা গৈছে, তাৰ তুলনাত ইয়াৰেই বৃটিছৰ মতলব পূৰণ হব, এনে ধৰণৰ এটা আশা বৃটেনে স্বাভাৱিকতে কৰিছিল। দেশৰ 'গণ্যমান্য লোক' মানে ধনী মধ্যবিত্ত শ্ৰেণী আৰু

অন্যান্য নেতৃস্থানীয় লোকসকলে ফয়জলক ৰজা বুলি মানিবলৈ ৰাজী হ'ল, কিন্তু এটি চৰ্ত্তত, দেশৰ শাসন ব্যৱস্থা হব নিয়মতান্ত্ৰিক, তাৰ ভিতৰত এখন গণতান্ত্ৰিক পাৰ্লিয়ামেণ্ট থাকিব লাগিব। নামানি অৱশ্যে তেওঁলোকৰ উপায়ো নাছিল। তেওঁলোকৰ ইচ্ছা আছিল এখন প্ৰকৃত পাৰ্লিয়ামেণ্ট গঠন হওক। যেতিয়া দেখিলে তেওঁলোকে বিচাৰক বা নিৰ্বিচাৰক, ফয়জল ৰজা হবই, তেতিয়া তেওঁলোকে পাৰ্লিয়ামেণ্ট প্ৰতিষ্ঠাৰ চৰ্ত্ততো আদায় কৰি ল'লে; দেশৰ জন-সাধাৰণৰ মতামত বেছি বিচাৰ কৰা নহল। এইভাৱে ১৯২১ চনৰ আগষ্ট মাহত ফয়জল ইৰাকৰ ৰজা হৈ ৰহিল।

কিন্তু আচল সমস্যাৰ ইয়াৰ দ্বাৰা অলপো সমাধান নহ'ল। ইৰাকৰ প্ৰজা-সকল আছিল বৃটিছ 'মেনডেট'ৰ অতিশয় বিৰোধী, তেওঁলোকে বিচাৰিছিল সম্পূৰ্ণ স্বাধীনতা, তাৰ পিছত তেওঁলোকে আৰব অঞ্চলৰ আন আন দেশসমূহৰ লগত এক হৈ যাব, এয়ে তেওঁলোকৰ ইচ্ছা। আন্দোলন আৰু বিক্ষোভ প্ৰকাশ্যে চলিব ধৰিলে, ইয়াৰ ঠিক এবছৰ পিছত ১৯২২ চনৰ আগষ্ট মাহত অৱস্থাই একে-বাৰে চৰম সীমা পালেগৈ। বৃটিছ কৰ্ত্তৃপক্ষই তেতিয়া ইৰাকৰ লোকসকলক আৰু অলপ স্বাধীনতাৰ পাঠ শিকাই দিলে। ইৰাকত বৃটিছ হাইকমিচনাৰ আছিল চাৰ পাৰ্চি কক্স। তেওঁ ৰজাৰ(ৰজা তেতিয়া অসুস্থ) মন্ত্ৰীসভাত আৰু ইৰা-কত যি এখন কাউন্সিল গঠন কৰি দিয়া হৈছিল, তাৰ হাতৰপৰা সকলো ক্ষমতা আঁতৰাই দি শাসন ব্যৱস্থাৰ সকলো কৰ্ত্তৃত্ব নিজৰ হাতলৈ আনিলে। প্ৰকৃততে তেৱেঁই তেতিয়া হ'ল ইৰাকৰ একচ্ছত্ৰী ডিক্টেটৰ। নিজৰ ইচ্ছামতে দেশ শাসন কৰিব ধৰিলে, তেওঁ বৃটিছ সৈন্যৰ বিশেষ কৰি বৃটিছ বিমান বাহিনীৰ সাহায্যত সকলো বিদ্ৰোহ, বিশৃঙ্খলা, দমন কৰিলে। ভাৰতবৰ্ষত, মিচৰ, চিৰিয়া, ইত্যাদি সকলোতেই সেই একে পুৰণি কাহিনী আমি বেলেগ বেলেগ ৰূপত অনুষ্ঠিত হোৱা দেখিবলৈ পাইছোঁ, ইয়াতো তাৰেই পুনৰাভিনয় হ'ল। জাতীয়তাবাদী বাতৰি কাকতসমূহক বন্ধ কৰি দিয়া হ'ল, নেতাসকলক নিৰ্বাসিত কৰা হ'ল, বৃটিছ উৰাজাহাজ'বোৰে বোমা বৰ্ষণ কৰি দেশতে বৃটিছ সাম্ৰাজ্যৰ মহিমা প্ৰতিষ্ঠিত কৰিলে।

কিন্তু এইবাৰো সমস্যাৰ সমাধান নহ'ল। কেইমাহমান পাছতে চাৰ পাৰ্চি কক্সে আকৌ ৰজা আৰু মন্ত্ৰী সভাৰ তেওঁলোকৰ কাম কৰি যাবলৈ অনুমতি দিলে, অন্ততঃ বাহিৰত দেখুৱাই। তাৰ পিছত এওঁলোকৰ ওপৰত হেচা দি বৃটেনৰ লগত এটি সন্ধিত সন্মতি জ্ঞাপন কৰিবলৈ এওঁলোকক বাধ্য কৰিলে। আকৌ আশ্বাস দিয়া হ'ল, ইংলেণ্ডেই ইৰাকক স্বাধীনতা দিব, আনকি ইৰাক লীগ অব নেচনচৰ সভ্যও কৰি দিব। এইবোৰ সুন্দৰ আৰু সান্ত্বনাদায়ক আশ্বাস বাণীয়ে ঢাকি ৰাখিলে এটি কঠিন সত্য। ইৰাক চৰকাৰে হেচাত পৰি স্বীকাৰ কৰিছিল যে বৃটিছ কৰ্মচাৰী বা বৃটেনৰ দ্বাৰা অনুমোদিত কৰ্মচাৰীসকলৰ সহায়তে তেওঁ-লোকে দেশ শাসন কৰিব। ১৯২২ চনৰ অক্টোবৰ মাহত এই সন্ধি কৰা হৈছিল, প্ৰজাসকলক নজনোৱাকৈ, প্ৰজাসকলে কিন্তু ইয়াক স্বীকাৰ নকৰিলে। স্পষ্ট-ভাৱে ক'লে—ইৰাক চৰকাৰ বুলি যাক প্ৰতিষ্ঠিত কৰা হৈছে সেইটো এটা ভুৱা চৰকাৰ, আচল ক্ষমতা এতিয়াও বৃটিছ কৰ্ত্তৃপক্ষৰ হাততেই ৰৈ গৈছে। দেশৰ ভৱিষ্যৎ শাসনতন্ত্ৰ ৰচনা কৰিবৰ কাৰণে এটা জাতীয় ব্যৱস্থাপিক গঠন কৰাৰ

আয়োজন কৰা হ'ল। নেতাসকলে স্থিৰ কৰিলে, সেই নিৰ্বাচনত কোনেও অংশ গ্ৰহণ নকৰে। এওঁলোকৰ এই অসহযোগ সফল হ'ল, পৰিষদ গঠন কৰা নহ'ল, দেশৰ ভিতৰত হাই-কাজিয়া হব ধৰিলে, কৰ আদায় হৈ পৰিল।

এবছৰৰো বেছি কাল জুৰি ১৯২৩ চনৰ একেবাৰে শেষলৈকে এই হৰ-কাজিয়া চলিব ধৰিলে। অৱশেষত সন্ধিটো অলপ সংশোধন কৰা হ'ল, ইৰাকৰ তাৰদ্বাৰা অলপ সুবিধা হ'ল। আন্দোলনকাৰী নেতা যিসকল আছিল, তেওঁ-লোকৰ কেইজনমানক নিৰ্বাসনতো পঠোৱা হ'ল। আন্দোলনৰ তীব্ৰতা তেতিয়া কিছুপৰিমাণে কমি আহিল, ১৯২৪ চনৰ প্ৰথম ভাগত ব্যৱস্থা পৰিষদ গঠন কৰি-বৰ কাৰণে নিৰ্বাচন পতাও সম্ভৱ হ'ল। কিন্তু নিৰ্বাচনৰ ফলত যি পৰিষদ গঠন হ'ল, সিও বৃটিছৰ এই সন্ধিটোৰ বিৰুদ্ধেই মত প্ৰকাশ কৰিলে। সন্ধিটো মানিবলৈ বৃটিছ চৰকাৰে পৰিষদৰ ওপৰত বৰ ভীষণ হেচা দিবলৈ ধৰিলে। শেষলৈ পৰিষদৰ মুঠ সভা-সংখ্যাৰ এক তৃতীয়াংশৰ অলপ বেছি মিলি সন্ধিটো মঞ্জুৰ কৰিলে। প্ৰতিনিধিসকলৰ ভিতৰত বহুতে সেই অধিৱেশনত উপস্থিতকে নাথাকিল।

ব্যৱস্থাপক পৰিষদে ইৰাকৰ কাৰণে এখন নতুন শাসনতন্ত্ৰৰ খচৰা লেখি উলিয়ালে। কাগজ-পত্ৰ দেখি ভাব হ'ল এইখন বেছ ভালেই হৈছে, ইয়াতো কোৱা হ'ল ইৰাক এখন সাৰ্বভৌম স্বাধীন স্বতন্ত্ৰ ৰাষ্ট্ৰ বুলি পৰিগণিত হব। তাত পাৰ্লিয়ামেণ্টৰ অধীনত পুৰুষানুযায়ী ৰাজতন্ত্ৰ প্ৰতিষ্ঠিত হব, পাৰ্লিয়ামেণ্টৰ ৰীতিৰে দেশ শাসন কৰা হব। কিন্তু ইমানেই। পাৰ্লিয়ামেণ্টৰ দুটি বিভাগ, তাৰে এখনৰ চিনেটৰ সভ্যসকলক মনোনীত কৰিব ৰজাই নিজে। এতেকে ৰজাৰ হাতত বহুখিনি ক্ষমতা বৈ গ'ল, আৰু ৰজাৰ পিছত থাকিল বৃটিছ কৰ্ম-চাৰীসকল, দেশৰ সকলো প্ৰধান কথাৰ সঁচাৰ কাঠি তেওঁলোকৰ হাতত। ১৯২৫ চনৰ মাৰ্চ মাহত এই শাসনতন্ত্ৰ চলোৱা হ'ল। নতুন পাৰ্লিয়ামেণ্টে কেইবছৰমান ধৰি কাম কৰি গ'ল, কিন্তু মেনডেট সম্বন্ধে যি আপত্তি আছিল সিও চলিব ধৰিলে মচুললৈ তেতিয়া ইংলেণ্ডৰ লগত তুৰস্কৰ বিবাদ চলিছে, সেইকালে এওঁলোকৰ বহুখিনি মনোযোগ নিবিষ্ট হৈ থাকিল, কাৰণ এই অঞ্চলটোৰ ওপৰত ইৰাকৰো দাবী আছে। শেষলৈ ১৯২৬ চনৰ জুন মাহত ইংলেণ্ড, ইৰাক আৰু তুৰস্কৰ মাজত এটি মিলিত সন্ধি হৈ এই বিবাদৰ শেষ মীমাংসা হৈ গ'ল। মচুল ইৰাকৰ হাতলৈ আহিল, ইৰাক নিজেই আছে বৃটিছৰ সাম্ৰাজ্যৰ ছায়াত। এতেকে বৃটিছৰ স্বাৰ্থৰ কোনো হানি নহ'ল।

১৯৩০ চনৰ জুন মাহত বৃটেন আৰু ইৰাকৰ মাজত এটি মিত্ৰতাৰ সূত্ৰত সন্ধি হ'ল। এইবাৰো দেশৰ আভ্যন্তৰীণ আৰু বৈদেশিক সকলো কথাতে ইৰাকৰ পূৰ্ণ স্বাধীনতা বৃটেনে স্বীকাৰ কৰি ললে। কিন্তু তাৰ লগে লগেই আকৌ এনে কিছুমান ৰক্ষাকবচ আৰু ব্যতিক্ৰমৰ ব্যৱস্থা কৰা হ'ল যে সেই স্বাধীনতা প্ৰকৃ-ততে পৰিণত হল এখন ওৰণি টনা ৰক্ষণাধীন ৰাষ্ট্ৰত। ইৰাকৰ মাজেদি গৈছে ভাৰতবৰ্ষলৈ অহাৰ পথ, সন্ধি-পত্ৰৰ ভাষাত এইটো বৃটেনৰ "অতি আৱশ্যকীয় যান-বাহনৰ ব্যৱস্থা"। এই পথ নিৰাপদ কৰি ৰাখিব লাগিব, এতেকে ইৰাকে বৃটেনক বিমানঘাটি তৈয়াৰ কৰিবলৈ কিছুমান ঠাই দি দিছে। মচুল আৰু আন

আন ঠাইত বৃটেনে তেওঁলোকৰ সৈন্যও বহুৱাই ৰাখিছে। সৈন্যসকলক সামৰিক শিক্ষা দিয়াৰ কাৰণে ইৰাকে বৃটিছ শিক্ষক ৰাখিব পাৰিব, ইৰাকৰ সৈন্যবাহিনীৰ লগে লগে থাকিব পৰামৰ্শদাতাস্বৰূপে বৃটিছ সৈন্যসকল। অস্ত্ৰ-শস্ত্ৰ, গুলী-বাৰুদ, উৰাজাহাজ আদি যি দৰকাৰ ইৰাকে বৃটিছৰপৰাই কিনিব লাগিব। যুদ্ধ হলে দেশৰ ভিতৰত বৃটেনক সকলো ৰকমৰ সুযোগ-সুবিধা দিব লাগিব, যাতে শত্ৰুৰ বিৰুদ্ধে বৃটেনৰ যুদ্ধৰ আয়োজন অবাধে চলিব পাৰে। ইয়াৰ ফলত মচুলৰ চাৰিও-কালে যি সামৰিক ঘাটি আছে, তাৰপৰা বৃটেনে সহজেই তুৰস্ক, পাৰস্য বা আজাৰ-বাইজানত থকা ছোভিয়েট এলেকাবোৰত আঘাট কৰিব পাৰিব।

এই সন্ধিৰ পিছত ১৯৩১ চনত বৃটেন আৰু ইৰাকৰ মাজত আকৌ এটা বিচাৰ সম্পৰ্কীয় চুক্তি হল। এই চুক্তিপত্ৰত ইৰাকে প্ৰতিশ্ৰুতি দিলে তেওঁ-লোকে এজন বৃটিছ জুডিচিয়েল এড্ভাইজাৰ নিয়োগ কৰিব, তেওঁলোকৰ আপীল আদালতত এজন বৃটিছক প্ৰেচিডেণ্ট কৰি বহুৱাব, বাগদাদ, বচৰা, মচুল আৰু কেইখনমান ঠাইত প্ৰেচিডেণ্টৰ আসনত বৃটিছ কৰ্মচাৰী নিযুক্ত কৰিব।

এইবোৰ ব্যৱস্থাতো আছেই, ইয়াৰ বাহিৰেও দেশৰ বহুতো উচ্চপদ বৃটিছ কৰ্মচাৰীসকলে দখল কৰি বহি আছে। এতেকে এই স্বাধীন দেশখন প্ৰকৃততে পৰিণত হৈছে, ইংলেণ্ডৰ এটি ৰক্ষাধীন অঞ্চলত। এই ব্যৱস্থা সম্পূৰ্ণ কৰি লোৱা হৈছে, ১৯৩০ চনৰ মিত্ৰতাসূচক সন্ধিটোত ইয়াৰ মিয়াদ থাকিব প্ৰায় পঁচিছ বছৰ।

১৯২৫ চনত নতুন শাসনতন্ত্ৰ আৰম্ভ কৰা হ'ল, তাৰ পিচৰপৰাই নতুন পাৰ্লিয়ামেণ্টে কাম আৰম্ভ কৰিলে। কিন্তু প্ৰজাসকল তেতিয়াও অলপো সন্তুষ্ট হোৱা নাই, বিভিন্ন অঞ্চলত মাজে মাজে বিশৃঙ্খলাই দেখা দিব ধৰিলে। বিশেষ কৰি এইটো হ'ল কুৰ্দ এলেকাত। তাত তেওঁলোকে সদায় বিদ্ৰোহ কৰিছিল। বৃটিছ বিমান বাহিনীয়ে সেই বিদ্ৰোহ দমন কৰিলে অতি সুস্থ উপায়েৰে; বোমা পেলাই আৰু গাৰঁৰ পিছত গাঁৱ উৰুৱাই দি। ১৯৩০ চনৰ সন্ধিৰ পিছত কথা ওলাল, এইবাৰ বৃটিছৰ আশ্ৰয়ত ইৰাকক লীগ্-অব্-নেচনচৰ সভ্য কৰি লব লাগে। কিন্তু দেশত তেতিয়া শান্তি নাই, হাঁই-কাজিয়া বিশৃঙ্খলাই দেখা দিছে। সেইটো কৰাও প্ৰশংসাৰ কথা নহয়—মেনডেটৰ ক্ষমতা যাৰ হাতত দিয়া হৈছে সেই বৃটেনৰ পক্ষেও, নতুবা দেশত তেতিয়া ৰজা ফয়জলৰ যি চৰকাৰ প্ৰতিষ্ঠিত হৈছে তাৰ পক্ষেও। দেশত এইবোৰ বিদ্ৰোহ চলিছে, ইয়াৰপৰাইতো স্পষ্ট প্ৰমাণ হয়—দেশৰ জনসাধাৰণৰ মূৰত বৃটিছসকলে যি চৰকাৰ জাপি দিছে তাৰ কামত প্ৰজা-সকল সন্তুষ্ট নহয়। এতিয়া এইবোৰ কথা গৈ যদি লীগ্-অব্-নেচনচৰ কাণত পৰেগৈ, সেইটোতো বৰ অন্যায়ৰ কথা হব। এতেকে তেতিয়া বলপ্ৰয়োগ আৰু ত্ৰাসৰ সৃষ্টি কৰি এইবোৰ বিশৃঙ্খলা থমাই দিবলৈ এটি বিশেষ চেষ্টা কৰা হ'ল। শান্তি আৰু শৃঙ্খলা স্থাপনৰ যি চেষ্টা এওঁলোকে কৰিলে, তাৰ স্বৰূপ অলপ জানিব পাৰি এজন ডাঙৰ বৃটিছ কৰ্মচাৰীয়ে দিয়া বৰ্ণনাৰপৰা। ১৯৩২ চনৰ ৮ জুন তাৰিখে লণ্ডন চহৰত ৰয়েল এচিয়াম চচাইটিৰ বাৰ্ষিক উৎসৱ হল, তাত বক্তৃতা দিবলৈ উঠি লেফটেনেণ্ট চাৰ আৰ্নল্ড উইলচনে ক'লে—

"কি দৃঢ় সংকল্প লৈ (জেনেভাত অৱশ্যে এই কথা কোনেও দিলেই স্বীকাৰ

কৰা হোৱা নাই) ৰজাৰ অধীনত থকা বিমান বাহিনীয়ে বোৱা দহ বছৰ ধৰি কুৰ্দ প্ৰজাসকলৰ ওপৰত বোমা বৰ্ষণ কৰি আহিছে। 'টাইমচ' কাকতৰ বিশেষ বাতৰি দিওঁতাই ইৰাৰ বিষয়ে কৈছিল—সকলোতে একে সমান সভ্যতাৰ বিস্তাৰ—ধ্বংসপ্ৰাপ্ত গাওঁ, নিহত পশুৰ জাক, অংগহীন নাৰী আৰু শিশুসকল সেই সভ্যতাৰ উদাহৰণ স্বৰূপে আছে।"

দেখা গ'ল গাৱঁৰ লোকসকল একেবাৰেই গাৱঁলীয়া, উৰাজাহাজ অহা দেখি তেওঁলোক লৰি পলাই যায়, লুকাই থাকে, বোমাবোৰে ইমান কষ্ট স্বীকাৰ কৰি তেওঁলোকক মাৰিবলৈ আহিছে, অথচ সেইবোৰৰ কাৰণে অপেক্ষা কৰি থকাৰ এইখিনি ভদ্ৰতা জ্ঞানো তেওঁলোকৰ নাছিল। সেইবোৰ দেখি গুণি ভাবি-চিন্তি এক নতুন ধৰণৰ বোমা পেলোৱা হ'ল, তাৰ নাম সময়-বিলম্বী বোমা। এই বোমা মাটিত পৰাৰ লগে লগে ফাটি নাযায়। ইয়াত সময় দিয়া থাকে, সেই সময়মতে ফুটে। গাৱঁৰ লোকসকলক ঠগিবলৈ এই দুই কল্পি পতা হ'ল, উৰা-জাহাজ গুচি যোৱাৰ পিছত তেওঁলোক নিশ্চিন্ত হৈ যেতিয়া উভতে, তাৰ পিছত হঠাৎ সময়মতে বোমা ফুটি তেওঁলোকক আঘাত কৰে। যিসকল এই বোমাত মৰিল তেওঁলোকৰ ভাগ্য ভাল বুলিবই লাগিব। কিছুমান অংগহীন হৈ জীয়াই থাকিল, যিসকলৰ হাত ভৰি এটা বোমাৰ আঘাটত উৰি গ'ল, বা আন কোনো ধৰণৰ নিদাৰুণ আঘাট লাগিল, তেওঁলোকৰ ভাগ্যই অতি বেয়া, কাৰণ এই দুৰ্গম পাহাৰীয়া গাৱঁত চিকিৎসাৰ কোনো ব্যৱস্থাই তেওঁলোকৰ নাছিল। এনেদৰে দেশত শান্তি আৰু শৃংখলা প্ৰতিষ্ঠিত কৰা হ'ল, তাৰ পিছত বৃটিছ কৰ্তৃপক্ষৰ আশীৰ্বাদ শিৰত লৈ ইৰাক চৰকাৰ লীগ্-অৱ্-নেচনচৰ দুৱাৰত গৈ থিয় হ'ল, লীগৰ সভ্য বুলি ই পৰিগণিত হ'ল। এই কথাটো ব্যংগৰ সুৰত এজনে কৈছিল—ইৰাক কেৱল বোমাৰ আঘাট খায়েই লীগৰ ভিতৰত সোমাইছে। অতি সঁচা কথা।

ইৰাক এতিয়া লীগ্-অৱ-নেচনচৰ সভ্য। এতেকে ইৰাৰ ওপৰত বৃটেনে যি মেনডেট পাইছিল, তাৰো বিদায় উকলি গৈছে। তাৰ ঠাইত তৈয়াৰ হৈছে ১৯৩০ চনৰ সন্ধি-পত্ৰ। বৃটিছসকলে যাতে ৰাজ্যখন ঠিকমতে হাতৰ মুঠিত ধৰি ৰাখিব পাৰে, তাৰ সকলো ব্যৱস্থাকে ইয়াত কৰা হৈছে। ইৰাৰ ফলত প্ৰজাৰ অসন্তোষো সমানেই বৈ গৈছে—ইৰাকৰ প্ৰজাসকলৰ কাম্য হৈছে তেওঁলোকৰ স্বাধীনতা আৰু আৰৱ জাতিসমূহৰ ঐক্য। ইৰাক লীগ্ অৱ নেচনচৰ সভ্য হৈছে, কিন্তু সেইটো লৈ তেওঁলোকৰ বিশেষ উৎসাহ নাই। প্ৰাচ্য দেশৰ প্ৰায় সকলো পৰাধীন জাতিৰ মনত লীগ্ অৱ্ নেচনচৰ বিষয়ে যি ধাৰণা—ইৰাকীসকলৰ ধাৰণাও ঠিক সেয়েই—তেওঁলোকে জানে লীগ হৈছে কেৱল ঘুৰোপৰ ডাঙৰ ডাঙৰ জাতিসমূহৰ হাতৰ এপাত অস্ত্ৰ, ইয়াৰে তেওঁলোকৰ নিজৰ উপনিৱেশ আৰু আন আন বিষয়ৰ প্ৰয়োজন পূৰণ কৰি লৈছে। *

---

* ১৯৩৩ চনৰ চেপ্টেম্বৰত ৰজা ফয়জলৰ মৃত্যু হয় আৰু তেওঁৰ ল'ৰা প্ৰথম গাজীয়ে সিংহাসন লাভ কৰে। তেওঁৰ আকৌ ১৯৩৯ চনত এক দুৰ্ঘটনাৰ ফলত মৃত্যু হয় আৰু তেওঁৰ শিশু-পুত্ৰ তেওঁৰ ঠাইত ৰজা হয়।

আৰব অঞ্চলৰ জাতিসমূহৰ কথা কোৱা আগতে শেষ হ'ল। এইটো তুমি নিশ্চয় লক্ষ্য কৰিছা, মহাযুদ্ধৰ পিছত ভাৰতবৰ্ষ আৰু প্ৰাচ্য জগতৰ আৰু বহুতো দেশৰ দৰে, এই দেশবোৰো জাতীয়তাবাদৰ প্ৰবল বত্‌অহত কিদৰে উদ্ভাসিত হৈ উঠিছিল। সেইটো যেন এটি বিদ্যুতৰ প্ৰবাহ, একেলগে তেওঁলোকৰ সকলোৰে মাজত সঞ্চাৰিত হৈছিল, আৰু এটি লক্ষ্য কৰিবলগীয়া বিষয় হৈছে, প্ৰত্যেকেই এওঁলোকে আন্দোলন চলোৱাৰ যিবোৰ ৰীতি আৰু নীতি গ্ৰহণ কৰিছিল, তাৰ ভিতৰত পৰস্পৰৰ সাদৃশ্য আছিল। ইয়াৰ বহুতো দেশতে সশস্ত্ৰ বিদ্ৰোহ হৈছে, বিপ্লৱ হৈছে, ৰক্তপাত হৈছে। কিন্তু তাৰ পাছত লাহে লাহে এওঁলোক সকলোৱেই বেছি কৰি নিৰ্ভৰ কৰিছে অসহযোগ আৰু 'বয়কট' নীতিৰ ওপৰত। এই কথাত কোনো সন্দেহ নাই যে, এনে প্ৰতিৰোধৰ এই নতুন পথটি প্ৰবৰ্তন কৰিছিল ভাৰতবৰ্ষই, ১৯২০ চনত আৰু যেতিয়া কংগ্ৰেছে গান্ধীজীৰ নেতৃত্ব মানি ললে। তেতিয়াৰপৰা অসহযোগ আদি আইন পৰিষদ বৰ্জ্জনৰ বুদ্ধিটো ভাৰতবৰ্ষৰপৰাই প্ৰাচ্য জগতৰ আন আন দেশলৈ গৈ সংক্ৰামক ৰূপে দেখা দিলে। এতিয়া এইটো স্বাধীনতা সংগ্ৰামৰ এটি উৎকৃষ্ট ৰীতি বুলি পৰিগণিত, ইয়াৰ প্ৰয়োগো প্ৰায় দেখা যায়।

সাম্ৰাজ্যবাদী প্ৰভু হিচাপে অধীনত থকা দেশক কৰায়ত্ত কৰি ৰাখিবৰ কাৰণে যি নীতি ইংলেণ্ডে খটুৱাৰ, আৰু যি নীতি ফ্ৰান্সে খটুৱায়, এই দুটাৰ মাজত এটি বিশেষ প্ৰভেদ আছে। ইংলেণ্ডৰ য'ত যি উপনিবেশ আছে তাৰ প্ৰত্যেক ঠাইতেই ই চেষ্টা কৰে, সাৰন্তপন্থী, জমিদাৰ, আৰু প্ৰজাৰ মাজত সকলোতকৈ ৰক্ষণশীল আৰু অনুন্নত শ্ৰেণীসমূহৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ। ভাৰতবৰ্ষ, মিচৰ আৰু বহুতো দেশত তেওঁলোকৰ এই খেলাকেই আমি দেখিছোঁ। অধীনত থকা দেশত তেওঁলোকে একোখন বৰ লৰক ফৰক বা নিশকটীয়া সিংহাসন গঠন কৰে, অতিশয় প্ৰগতি বিৰোধী এজন লোকক আনি এই সিংহাসনত বহুৱাই দিয়ে, তেওঁলোকে বেছ জানে যে সেই ৰজাজনে নিজৰ প্ৰাণৰ দায়তে তেওঁলোকৰ পক্ষ সমৰ্থন কৰি থাকে। ইয়াৰ কাৰণেই এওঁলোকে মিচৰৰ সিংহাসনত ফুয়াদক বহুৱাই ৰাখিছে, ইৰাকত বহুৱাইছে ফয়জলক, ট্ৰান্স-জৰ্ডানত আব্দুল্লাক, আৰু এই কাৰণেই হেজাজত তেওঁলোকে হুচেইনক ৰজা পাতিব বিচাৰিছিল। ফ্ৰান্সৰ নীতি বেলেগ। ফ্ৰান্স হৈছে প্ৰকৃতবুৰ্জোৱাৰ দেশ, সেই কাৰণে ই চেষ্টা কৰে অধীনত থকা দেশৰ বুৰ্জোৱাসকলৰ এটি অংশক, নৱজাগ্ৰত মধ্যবিত্ত শ্ৰেণীক হাত কৰি ল'ব। চিৰিয়াত তেওঁলোকে খ্ৰীষ্টান, মধ্যবিত্ত শ্ৰেণীসমূহৰ সমৰ্থন লাভ কৰিবলৈ চেষ্টা কৰিছিল। ইংলেণ্ড আৰু ফ্ৰান্সৰ অধীনত যিমান দেশ আৰু উপনিবেশ আছে তাৰ সকলোতে এই দুয়োদেশেই এটি নীতিকে প্ৰধানতে অনুসৰণ কৰিছে, সেইটো হৈছে, তেওঁলোকৰ বিৰুদ্ধে যি জাতীয়তাবাদে মূৰ দাঙি উঠিছে তাক দুৰ্বল কৰি পেলোৱা। ইয়াৰ কাৰণে তেওঁলোকে সেই দেশৰ মাজত দলাদলি সৃষ্টি কৰে, সংখ্যালঘু সম্প্ৰদায়, জাতি, ধৰ্ম ইত্যাদিলৈ নানান ধৰণৰ জটিল সমস্যাৰ সৃষ্টি কৰি দিয়ে, কিন্তু প্ৰাচ্য জগতৰ সকলোতে আজি জাতীয়তাবাদৰ চেতনা এনে ধৰণৰ ভাগৰটোৱাৰৰ কথাক নেওচি পাৰ হৈ আহিছে। মধ্য প্ৰাচ্যৰ এই আৰব দেশসমূহত এই জয়ৰ লক্ষণ যিমান স্পষ্ট হৈ দেখা দিছে এনে বোধকয় আৰু ক'তো হোৱা নাই। তাত একক

জাতীয়তাৰ আদৰ্শৰ আগত পৰি ধৰ্মগত সম্প্ৰদায়ৰ কথা দিনে দিনে ক্ষীণ হৈ আহিছে ।

ইৰাকত বৃটিছৰ বজাৰৰীয়া বিমান বাহিনীয়ে যি বিৰাট বীৰত্ব দেখুৱাইছে—তাৰ কথা তোমাক কৈছোঁ। যোৱা বাৰ বছৰ ধৰি বৃটিছ চৰকাৰৰ নীতিয়েই হৈ উঠিছে, তেওঁলোকৰ অধীনত যিবোৰ অৰ্দ্ধ উপনিৱেশ শ্ৰেণীৰ দেশ আছে, তাত পুলিচৰ কাম কৰিবলৈ এই ধৰণেৰে বিমান বাহিনীক ব্যৱহাৰ কৰা, এইটো আকৌ বিশেষ কৰি কৰা হৈছে সেইবোৰ ঠাইত—য'ত অলপ অচৰপ স্বায়ত্ত-শাসনৰ ক্ষমতা দিয়া হৈছে, অৰ্থাৎ য'ত দেশ শাসনৰ ভাৰ পৰিছে, প্ৰধানকৈ সেই দেশবাসী-সকলৰ হাততেই। এতিয়া আৰু বৃটেনে এইবোৰ দেশত এনে দখলকাৰী সৈন্য-বাহিনী বহুৱাই ৰখা নাই—ৰাখিলেও তেওঁলোকৰ সংখ্যা অতি কমাই দিয়া হৈছে। ইয়াৰ বহুতো সুবিধা। ইয়াৰে তেওঁলোকৰ বহুতো টকা ৰাহি হয়—দেশখনক যি সৈন্যৰে দখল কৰি ৰখা হৈছে, তাৰো প্ৰমাণ আৰু তেনেদৰে চকুত নপৰে। অথচ উৰাজাহাজ আৰু বোমাৰ জোৰত দেশখনত তেওঁলোকৰ প্ৰভুত্ব আৰু নিয়ন্ত্ৰণ ক্ষমতা সম্পূৰ্ণৰূপে অক্ষুণ্ণ হৈ ৰয়। এইভাৱে উৰাজাহাজৰপৰা বোমা বৰ্ষণৰ ব্যৱস্থা আছে বুলিয়েই বৃটেনে এতিয়া আৰু বহুত ঠাইত 'স্বাধীনতা' দি দিব পাৰিছে। বোমা বৰ্ষণৰ নীতিটো বোধকৰো বৃটেনেই সকলোতকৈ বেছি ব্যৱহাৰ কৰিছে; আন কোনো দেশে ইমান কৰা নাই। ইৰাকৰ কথা মই তোমাক কৈছো। ভাৰতবৰ্ষৰ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ সম্বন্ধেও ঠিক এই সাধুকে কব পাৰি, তাত এই ধৰণৰ বোমাবৰ্ষণ এটা দৈনন্দিন ঘটনা হৈ পৰিছে।

আগৰ দিনত বিদ্ৰোহী প্ৰজাক শাসন কৰিবলৈ সৈন্যবাহিনী পঠোৱা হৈছিল। বোমা বৰ্ষণ কৰাত বোধকৰোঁ তাতকৈ খৰচ কম, হয়তো কলো সোনকালে পোৱা যায়। কিন্তু এইটো অতি নিষ্ঠুৰ পন্থা, অমানুষিক পন্থা। বোমা পেলাই বিশেষতঃ সময় বিলম্বী বোমা পেলাই সম্পূৰ্ণ এখন গাওঁ ধ্বংস কৰা, দোষী-নিৰ্দোষী নিৰ্বি-চাৰে সকলো লোকক হত্যা কৰা; ইয়াতকৈ বেছি ভয়াবহ আৰু বেছি কৰ্বৰো-চিত আচৰণ কল্পনা কৰাও সঁচাকৈয়ে টান। তাতকৈ এই উপায়েৰে আন দেশৰ ওপৰত আক্ৰমণ কৰাও অতি সহজ। এতেকে এতিয়া ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰম্ভ হৈছে, বিমানৰপৰা অসামৰিক জনতাৰ ওপৰত আক্ৰমণ চলোৱাক বৰ্বৰোচিত ব্যৱস্থা বুলি নিন্দা কৰি জেনেভাত লীগ্-অব্-নেচনচৰ সভাৰবত বৰ বৰ ডাঙৰ ডাঙৰ বক্তৃতা দিয়া গৈছে। আন সকলো দেশৰ প্ৰতিনিধিয়েই বিমানৰ-পৰা বোমা বৰ্ষণ কৰি একেবাৰেই নিষিদ্ধ কৰা হওক বুলি জোৰ দাবী জনাইছে—আমেৰিকাৰ যুক্তৰাষ্ট্ৰয়ো এই মতকেই প্ৰকাশ কৰিছে। কিন্তু বৃটিছ চৰকাৰ তাত ৰাজী হোৱা নাই—তেওঁলোকৰ দাবী উপনিৱেশবোৰৰ 'পুলিচ ব্যৱস্থা'ৰ কাৰণে বিমান ব্যৱহাৰৰ ক্ষমতা অক্ষুণ্ণ ৰখা হওক। এই দাবীৰ কাৰণেই লীগৰ সভাত আৰু ১৯৩৩ চনৰ নিৰস্ত্ৰীকৰণ বৈঠকত একমত হব পৰা নগ'ল।

১৭০

আফগানিস্থান আৰু এচিয়াৰ কেইখনমান দেশ

৮ জুন, ১৯৩৩

ইৰাকৰ পূবফালে আছে ইৰাণ আৰু পাৰস্য, পাৰস্যৰ পূবত আফগানিস্থান। পাৰস্য আৰু আফগানিস্থান দুয়ো ভাৰতবৰ্ষৰ প্ৰতিবেশী ৰাজ্য (বেলুচিস্তানত) কেইশমান মাইল ধৰি পাৰস্য সীমান্তই ভাৰতবৰ্ষক স্পৰ্শ কৰিছে; বেলুচিস্তানৰ একেবাৰে পশ্চিম প্ৰান্তৰপৰা আৰম্ভ কৰি উত্তৰত হিন্দুকুশ পৰ্বতমালালৈকে প্ৰায় এক হাজাৰ মাইল ধৰি আফগানিস্থান আৰু ভাৰতবৰ্ষ দুয়ো দুয়োৰে গাত লগালগিকৈ আছে। মধ্য এচিয়াৰ এই হিন্দুকুশ পৰ্বতমালাৰ কোলাতেই ভাৰতবৰ্ষই তাৰ তুষাৰ ধৱল মূৰটো থৈ আৰামেৰে শুই আছে, শুই শুই চোভিয়েট এলেকাৰ ফালে চকু ফুৰাই চাইছে। এই তিনিখন দেশ অকল প্ৰতিবেশীয়েই নহয়—জাতি হিচাপেও এওঁলোক জ্ঞাতি কুটুম্ব, কাৰণ এই তিনিখন দেশতেই পুৰণি আৰ্যসকলৰ বংশধৰৰ প্ৰাধান্য পোৱা যায়। সংস্কৃতিৰ ফালৰপৰাও সুদূৰ অতীত কালতো এওঁলোকৰ মাজত বহুতোখিনি মিল আছিল, সেই কথা তোমাক আগতেই কৈছোঁ। অলপ দিন আগলৈকে পাৰ্চী ভাষাই আছিল উত্তৰ ভাৰতৰ পণ্ডিতসকলৰ ভাষা, এতিয়াও এই দেশত এই ভাষাৰ বহুল প্ৰচলন আছে, বিশেষকৈ মুছলমানসকলৰ ভিতৰত। আফগানিস্থানৰ দৰবাৰত এতিয়াও পাৰ্চী ভাষাই চলিছে, আফগানসকলৰ জন-সাধাৰণৰ ভাষা হৈছে—পুছতু।

পাৰস্য সম্বন্ধে তোমাক মই আন চিঠিবোৰত যি কৈছোঁ, ইয়াত আৰু একো বিশেষ নকওঁ। কিন্তু আফগানিস্থানত বিবোৰ ঘটনা সম্প্ৰতি ঘটি গ'ল তাৰ অলপ সংক্ষিপ্ত বিৱৰণ দিয়া উচিত। আফগানিস্থানৰ ইতিহাস প্ৰকৃততে ভাৰতবৰ্ষৰ ইতিহাসৰেই এটি অধ্যায়। সঁচাকৈয়ে বহুদিন ধৰি আফগানিস্থান ভাৰতবৰ্ষৰ ভিতৰত আছিল। ভাৰতবৰ্ষৰপৰা বেলেগ হৈ যোৱাৰ পিছৰপৰা আৰু বিশেষকৈ যোৱা এবছৰ বা অলপ বেছি সময় ধৰি আফগানিস্থান হৈছে ৰুচিয়া আৰু ইংলেণ্ড দুই বিৰাট সাম্ৰাজ্যৰ মাজত—দুয়োকালৰ হেঁচা চন্তালিবলৈ প্ৰাচীৰ ৰাষ্ট্ৰ। ৰুচিয়াৰ সাম্ৰাজ্য ভাঙি গৈছে, তাৰ ঠাই লৈছে চোভিয়েট ইউনিয়নে, কিন্তু আফগানিস্থানে এতিয়াও ইয়াৰ পুৰণি ভূমিকা, প্ৰাচীৰৰ ভূমিকাকে গ্ৰহণ কৰি আছে,— ইংৰাজ আৰু ৰুচসকল এই দেশলৈ আহি নানান ষড়যন্ত্ৰ, নানান ফন্দি পাতিছে, ইটোৱে সিটোক আঁতৰাই দেশখন নিজৰ হাতৰ মুঠিত ৰাখিবলৈ চেষ্টা কৰিছে। উনৈশ

শতাব্দীত এওঁলোকৰ এইবাৰ চক্ৰান্তৰ ফলতেই ইংলণ্ড আৰু আফগানিস্থানৰ মাজত যুদ্ধ হ'ল। যুদ্ধত ইংৰাজসকল বাৰে বাৰে বিপৰ্যয়ৰ সন্মুখীন হৈয়ো শেষত তেওঁলোকেই প্ৰাধান্য লাভ কৰিলে। আফগান ৰাজবংশৰ বহুতো লোক আজিও ৰাজবন্দী স্বৰূপে উত্তৰ ভাৰতৰ বহু ঠাইত আটক হৈ আছে। আফগানিস্থানত যি ইংৰাজৰ হস্তক্ষেপ চলিছিল ই তাৰেই স্মৃতি চিহ্ন। তাৰ পিছত সিংহাসন গ'ল বৃটেইনৰ মিত্ৰ আমীৰসকলৰ দখলত, আফগানিস্থানৰ বৈদেশিক নীতি সম্পূৰ্ণৰূপে বৃটিছৰ নিৰ্দেশ অনুসৰি চলিব ধৰিলে, কিন্তু ইংৰাজৰ প্ৰতি বন্ধুভাৱ এওঁলোকৰ যিমানেই নাথাকক—তথাপি এই আমীৰসকলক সম্পূৰ্ণ বিশ্বাস কৰা নহৈছিল, এতেকে এওঁলোকক প্ৰসন্ন কৰি আৰু বৃটিছৰ অনুগত স্বৰূপে ৰাখিবৰ কাৰণে বৃটিছ কৰ্তৃপক্ষই প্ৰতিবছৰে বিপুল পৰিমাণৰ টকা এওঁলোকক সহায় স্বৰূপে দিব ধৰিলে। এই ধৰণৰেই বৃত্তিভোগী ৰজা আছিল আমীৰ আব্দুল ৰহমান, ১৯০১ চনত এওঁৰ দীঘলীয়া ৰাজত্বৰ অৱসান ঘটে। তাৰপিছত আহিল আমীৰ হবিবুল্লা, বৃটিছৰ লগত এওঁৰো প্ৰীতিভাৱ আছিল।

ভাৰতবৰ্ষৰ বৃটিছ চৰকাৰৰ প্ৰতি আফগানিস্থান ইমান অনুগত কিয় তাৰ এটা কাৰণ হৈছে সেই দেশখনৰ অৱস্থিতি। মানচিত্ৰত দেখিবা সাগৰৰ লগত আফগানিস্থানৰ যোগাযোগ নাই, ইয়াৰ আৰু সাগৰৰ মাজত আছে বেলুচিস্থান, এতেকে ইয়াৰ অৱস্থা হৈছে এটা বন্ধ ঘৰৰ দৰে যাৰ অন্য কাৰোৰ মাটিৰ ওপৰেদি নাহিলে ডাঙৰ আলিত উঠিবলৈ বাট নাই। সেইটো এটা বৰ অসুবিধাৰ কথা। বাহিৰৰ পৃথিৱীৰ লগত যোগাযোগ ৰখাত ইয়াৰ সকলোতকৈ সহজ পথটোৱেই আছিল ভাৰতবৰ্ষৰ মাজেদি। আফগানিস্থানৰ উত্তৰফালে ৰুচিয়াৰ যি অঞ্চলটো আছে, আগতে তাত যানবাহনৰ কাৰণে কোনো ভাল ব্যৱস্থা নাছিল। আজিকালি বোধহয় চোভিয়েট চৰকাৰে তাত যান-বাহনৰ ব্যৱস্থা কৰিছে, ৰেলৱে তৈয়াৰ কৰিছে আৰু উৰা জাহাজ আৰু মটৰ চলাচলৰ সুবিধা কৰিছে। ভাৰতবৰ্ষই হল আফগানিস্থানৰ পক্ষে বাহিৰ বা বতাহ পোৱাৰ খিৰিকী। এতেকে বৃটিছ চৰকাৰে সেই সুযোগটো কামত লগাই নানান দিশৰপৰাই আফগানিস্থানৰ ওপৰত জুলুম চলাইছিল। আফগানিস্থানৰপক্ষে সাগৰলৈ যোৱাৰ অসুবিধা, এইটোৱেই এতিয়াও এই দেশখনৰ কাৰণে এটা ডাঙৰ সমস্যা।

আফগান দৰবাৰৰ ভিতৰত সকলো সময়তেই চক্ৰান্ত আৰু অৰিয়াঅৰি চলি আছিল। ১৯১৯ চনৰ প্ৰথম ভাগত সেইটো বাহিৰত ফুটি ওলাল আৰু নিচেই কমদিনৰ ভিতৰতে দুটা প্ৰাসাদ বিপ্লৱ ঘটি গ'ল। বাহিৰত যিখিনি প্ৰকাশ পাইছে, তাৰ আঁৰত কি আছিল বা এইবোৰ পৰিবৰ্তনৰ মূলত কাৰ হাত আছিল সেইটো মই ভালদৰে নেজানো। প্ৰথমতে আমীৰ হবিবুল্লাক কোনোবাই নিহত কৰিলে। তেওঁৰ ভায়েক নচৰুল্লা তেতিয়া আমীৰ হৈ ৰহিল। কিন্তু অলপ দিনৰ ভিতৰতে নচৰুল্লাকো আঁতৰাই দিয়া হ'ল। এইবাৰ আমীৰ হ'ল আমানুল্লা, হবিবুল্লাৰ সৰু পুতেকসকলৰ ভিতৰত এজন। ইয়াৰ ঠিক পিছতে ১৯১৯ চনৰ মে' মাহত, তেওঁ ভাৰতবৰ্ষৰ ওপৰত এটি সৰুসুৰা আক্ৰমণ চলালে। সেই আক্ৰমণ চলোৱাৰ বিশেষ কাৰণ কি আছিল বা তাৰ প্ৰধান উদ্যোক্তা কোন আছিল সেইটোও মই

নেজানো। খুব সম্ভৱ, বৃটিছৰ প্ৰতি কোনো প্ৰকাৰ আনুগত্য স্বীকাৰ কৰি থকাটো আমানুল্লাই পছন্দ নকৰিছিল, সেই কাৰণেই তেওঁ তেওঁৰ দেশৰ পূৰ্ণ স্বাধীনতা প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। এইটোও বোধকৰোঁ আশা কৰিছিল তেতিয়াৰ পাৰিপাৰ্শ্বিক অৱস্থাটো তেওঁৰ অনুকুলে হব। মনত ৰাখিবা এইটো হৈছে ঠিক এই সময়ৰ কথা, যেতিয়া পাঞ্জাৱত সামৰিক আইনৰ শাসন চলিছিল, ভাৰতৰ সকলোতে বৃটিছৰ বিৰুদ্ধে অসন্তোষে দেখা দিছে, আৰু খিলাফৎ সমস্যা লৈ মুছলমানসকলৰ মাজত এটি চাঞ্চল্যৰ সৃষ্টি হৈছিল। যিহওক, আক্ৰমণৰ কাৰণ আৰু উদ্দেশ্য যিয়েই নাথাকক, এই আক্ৰমণৰ ফলত বৃটিছৰ লগত আফগানসকলৰ যুদ্ধ হ'ল। এই যুদ্ধ কিন্তু চলিল আচৰিত ধৰণে কেইদিনমানৰ কাৰণেহে, আৰু প্ৰকৃততে যুদ্ধ বুলিবলৈ বিশেষ একোৱেই নহ'ল। সমৰ নীতিৰ কালৰপৰা অৱশ্যে কব লাগিব ভাৰতৰ বৃটিছ চৰকাৰৰ শক্তি আমানুল্লাতকৈ বহুত বেছি আছিল। কিন্তু যুদ্ধ কৰাৰ প্ৰবৃত্তি তেতিয়া তেওঁলোকৰ সমূলি নাছিল, এতেকে দুই চাৰিলৈ সৰুসুৰা মৰামৰি হোৱাৰ পিছতেই তেওঁলোকে আফগানসকলৰ লগত সন্ধি কৰিবলৈ আগুৱাই গ'ল। ইয়াৰ ফলত আফগানিস্থানক তেওঁলোকে স্বাধীন দেশ বুলি স্বীকাৰ কৰি ললে, আন আন দেশৰ লগত কূটনৈতিক সম্পৰ্ক স্থাপনৰ পূৰ্ণ ক্ষমতাও তেওঁলোকৰ নিজৰ হাততেই থাকিব। আমানুল্লাই যি বিচাৰিছিল তাকে পালে। য়ুৰোপ আৰু এচিয়াৰ সকলোতে তেওঁৰ মান মৰ্যাদাও বহুতো বাঢ়ি গ'ল। স্বভাৱতে বৃটিছসকল আৰু তেওঁৰ ওপৰত সুপ্ৰসন্ন হৈ নাথাকিল।

মানুহৰ দৃষ্টি ইয়াতকৈও বেছি আকৰ্ষণ কৰিলে আমানুল্লাৰ আৰু এটা কামে—দেশত তেওঁ এটি নতুন নীতিৰ প্ৰবৰ্ত্তন কৰিলে। এই নীতি হৈছে পাশ্চাত্য দেশৰ অনুকৰণেৰে দেশত দ্ৰুত সংস্কাৰ সাধন—ইয়াৰ নাম দিয়া হৈছে আফগানিস্থানৰ 'পাশ্চাত্য-কৰণ।' আমানুল্লাৰ পৰিবাৰ ৰাণী চৌৰিয়াই এই কামত তেওঁক প্ৰচুৰ সাহায্য কৰিছিল। চৌৰিয়াই অলপ শিক্ষা পাইছিল য়ুৰোপত, ওৰণি প্ৰথা আৰু বোৰ্খাৰ আৰালত মহিলাসকলক বিদৰে আৱদ্ধ কৰি ৰখা হয় তাৰ ওপৰত। তেওঁৰ যথেষ্ট বিৰক্তি আছিল। এতেকে আৰম্ভ হ'ল এক অদ্ভুত অভিযান, অতি অৱস্থাৰপৰা পিচ পৰা এখন দেশক অতি অলপ দিনৰ ভিতৰতে আগৰপৰা গুৰিলৈকে সলনি কৰি পেলোৱাৰ অভিযান। পুৰণি নীতিৰ যি এলান্ধুকলীয়া সীমা ৰেখাৰ ভিতৰত আফগানসকল ইমান দিন অভ্যস্ত আছিল, তাৰ মোহ এৰি নতুন পথত তেওঁলোকক চলিবলৈ শিকোৱাৰ অভিযান। মুস্তাফা কামাল পাছাকেই যে তেওঁৰ আদৰ্শ বুলি আমানুল্লাই মানি লৈছিল, সেইটো সহজেই বুজিব পাৰি। বহুতো কথাত তেওঁ কামালক অনুসৰণ কৰিবলৈ চেষ্টা কৰিলে, আফগানসকলক তেওঁ কোট-পেণ্ট আৰু চাহাবী টুপী পিন্ধোৱালে, দাড়ি খুৰাবলৈকো বাধ্য কৰিলে। কিন্তু মুস্তাফা কামালৰ যি বিশেষত্ব দৃঢ়তা আৰু কৰ্ম ক্ষমতা আছিল আমানুল্লাৰ সেইটো নাছিল। কামাল পাছাই দেশজুৰি সংস্কাৰৰ বাব বোৱাই দিছিল, কিন্তু সেই চেষ্টা আৰম্ভ কৰাৰ আগতে তেওঁ দেশৰ ভিতৰত আৰু দেশৰ বাহিৰত দুয়োক্ষেত্ৰতেই তেওঁৰ নিজৰ আসন সম্পূৰ্ণ দৃঢ় কৰি লৈছিল। তাঁৰ উপৰিও তেওঁৰ পিছত আছিল এটি সুদক্ষ আৰু অভিজ্ঞ সৈন্যবাহিনী, দেশৰ সকলো লোকৰ

মনতো তেওঁৰ প্ৰতি এটা বিৰাট শ্ৰদ্ধা আছিল। আমানুল্লাই এইবোৰৰ কোনো ব্যৱস্থাকে নকৰিলে কেৱল আওৰাই গ'ল। কামালৰ তুলনাত তেওঁৰ কামো আছিল বহুত বেছি পিছপৰা।

কাম হৈ যোৱাৰ পিছত অৱশ্যে জ্ঞানীৰ দৰে উপদেশ সকলোৱে দিব পাৰে। আমানুল্লাৰ অভিযানৰ সেই প্ৰথম কেইটা বছৰ মনত হল যেন তেওঁ যি কৰে তাকে হৈ যাব। বহুতো আফগান ল'ৰা-ছোৱালীক তেওঁ লিখা-পঢ়া শিকিবলৈ য়ুৰোপলৈ পঠিয়াই দিলে। শাসন ব্যৱস্থাতো বহুতো সংস্কাৰ তেওঁ আৰম্ভ কৰিলে। প্ৰতিবেশী ৰাজ্যসমূহৰ লগত আৰু তুৰস্কৰ লগত সন্ধিস্থাপন কৰি তেওঁ আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত তেওঁৰ আসন দৃঢ় কৰি ললে। চোভিয়েট ৰুচিয়াই ভাবি চিন্তিয়েই চীনৰপৰা তুৰস্কলৈকে প্ৰাচ্য জগতৰ সকলো দেশৰ প্ৰতি এটি বৰ উদাৰ আৰু বন্ধুত্বৰ নীতি অৱলম্বন কৰিছিল, তুৰস্ক আৰু পাৰস্যই বিদেশীৰ কবলৰপৰা মুক্তি লাভ কৰিলে, তাতো চোভিয়েটৰ এই বন্ধুত্ব আৰু সাহায্যৰ বহুখিনি আগবঢ়াইছিল। ১৯১৯ চনত ইংলেণ্ডৰ লগত অলপ দিন মাত্ৰ যুদ্ধ কৰিয়েই যে আমানুল্লাই অতি সহজে তেওঁৰ উদ্দেশ্য সিদ্ধি কৰি লৈছিল, তাৰ মূলতে নিশ্চয় এটি ডাঙৰ কাৰণ আছিল এই চোভিয়েটৰ বন্ধুত্ব। ইয়াৰ পিছত কেইবছৰমানৰ ভিতৰত চোভিয়েট ৰুচিয়া, তুৰস্ক, পাৰস্য আৰু আফগানিস্থান, এই চাৰিখন দেশৰ মাজত পৰস্পৰৰ বহুতো সন্ধি আৰু মিত্ৰতা স্থাপন হ'ল।—এওঁলোকৰ চাৰিওখনৰ ভিতৰত একেলগে বা কোনো তিনিখনকলৈ কোনো সন্ধি হোৱা নাই। প্ৰত্যেকেই আন তিনিখনৰ লগত বেলেগ বেলেগ সন্ধি কৰিছে, সন্ধিৰ চৰ্ত্ত বাৰু সাধাৰণতে প্ৰায় সকলোবে ক্ষেত্ৰতে একে। এইদৰে মধ্যপ্ৰাচ্যত এখন সন্ধিৰ জাল তৈয়াৰ হ'ল তাৰ ফলত ইয়াৰ প্ৰত্যেকখন দেশৰেই শক্তি বাঢ়ি গ'ল। এই সন্ধিসমূহ আৰু কোন সন্ধি কেতিয়া হৈছিল, তাৰ তাৰিখৰ এখন তালিকা মই তোমাক দিছোঁ।

তুৰ্কী-আফগান সন্ধি	১৯ ফেব্ৰুৱাৰী ১৯২১
চোভিয়েট—তুৰ্কী সন্ধি	১৭ ডিচেম্বৰ ১৯২৫
তুৰ্কী-পাৰস্য সন্ধি	২২ এপ্ৰিল ১৯২৬
চোভিয়েট-আফগান সন্ধি	৩১ আগষ্ট ১৯২৬
চোভিয়েট-পাৰস্য সন্ধি	১ অক্টোবৰ ১৯২৭
পাৰস্য-আফগান সন্ধি	২৮ নবেম্বৰ ১৯২৭

এই সন্ধিবোৰ হ'ল আচলতে চোভিয়েটৰ কূটনীতিৰ ফলত তেওঁলোকৰ পক্ষে ই এটা বিৰাট জয়লাভ। মধ্যপ্ৰাচ্যত বৃটিছ প্ৰতিপত্তিয়েও ইয়াৰ ফলত বৰ আঘাট পালে। কোৱা বাহুল্য যে বৃটিছ চৰকাৰে এইবোৰ সন্ধিৰ বিষয়ে বৰ আপত্তি প্ৰকাশ কৰিলে, চোভিয়েট ৰুচিয়াৰ প্ৰতি আমানুল্লাৰ প্ৰীতি আৰু আকৰ্ষণ তেওঁলোকে বিশেষকৈ অপছন্দ কৰিলে।

১৯২৮ চনৰ প্ৰথম ভাগত আমানুল্লা আৰু ৰাণী চোৰিয়া আফগানিস্থানৰপৰা য়ুৰোপ ভ্ৰমণৰ কাৰণে ৱাহিৰ হ'ল। য়ুৰোপৰ বহুতো দেশৰ ৰাজধানীলৈকে গ'ল তেওঁলোক,—ৰোম, পেৰিচ, লণ্ডন, বাৰ্লিন, মস্কো। প্ৰত্যেক ঠাইতেই


আফগানিস্থান
চোভিয়েট ৰাচিয়া
বোখাৰা
তাচখন্দ
মাৰ্ভ
সমৰকন্দ
পামিৰ
চিনকিয়াং
আফগানিস্থান
হিৰাট
কাবুল
খাইবাৰ
পেচোৱাৰ
লাহোৰ
কান্দাহাৰ
কোৱেটা
মুলতান
বেলুচিস্থান
ভাৰতবৰ্ষ
কৰাচী
ৰেলপথ

তেওঁলোকে বিপুল সম্বৰ্দ্ধনা লাভ কৰিলে। দেখা গ'ল প্ৰত্যেক দেশেই আমানুল্লাৰ লগত সম্ভাৱ স্থাপন কৰিবলৈ ব্যগ্ৰ, নিজৰ বাণিজ্যৰ আৰু ৰাজনৈতিক প্ৰয়োজনৰ কাৰণে বহুতো মূল্যবান উপহাৰো এওঁলোকৰপৰা তেওঁ পালে। কিন্তু আমানুল্লাই কূটনীতিজ্ঞ লোকৰ দৰেই মনে মনে থাকিল, কাৰো কোনো কথাত ধৰা নিদিলে। দেশলৈ উভতিবৰ সময়ত তেওঁ তুৰস্ক আৰু পাৰস্য দেশত সোমাই আহিল।

আমানুল্লাৰ দীঘলীয়া দেশ ভ্ৰমণে বহুতৰেই দৃষ্টি আকৰ্ষণ কৰিছিল। আমানুল্লাৰ সন্মান প্ৰতিপত্তি ইয়াত বহুত বাঢ়িল। কিন্তু আফগানিস্থানৰ ভিতৰৰ অৱস্থা বৰ ভাল নাছিল। দেশত বৰ ডাঙৰ ধৰণৰ সকলো পৰিৱৰ্তন ঘটোৱা হৈছে, মানুহৰ জীৱন যাত্ৰাৰ পুৰণি পদ্ধতি তাৰ ফলত সম্পূৰ্ণ ওলট-পালট হৈ গৈছে—এনে এটি সঙ্কট মুহূৰ্ত্তত দেশ এৰি বাহিৰলৈ গৈ আমানুল্লাই এটা বৰ বিপদৰ কাম কৰিছে। এনে বিপদৰ কাম মুস্তাফা কামালে কেতিয়াও কৰা নাই। দীৰ্ঘকাল আমানুল্লা দেশৰ বাহিৰত গৈ থাকিল। দেশৰ ভিতৰত য'ত যিমান প্ৰগতি বিৰোধী লোক আছিল, তেওঁৰ যিমান বিৰোধী দল আছিল, সেই অনুপস্থিতিৰ সুযোগ লৈ তেওঁলোক সকলোৱেই লাহে লাহে মূৰ দাঙি উঠিল। দেশত নানান ধৰণৰ চক্ৰান্ত আৰু ষড়যন্ত্ৰ আৰম্ভ হ'ল, আমানুল্লাক অশ্ৰদ্ধাৰ পাত্ৰ কৰিবলৈ নানা ধৰণৰ উৰা-বাতৰি প্ৰচাৰ হব ধৰিলে। বেছ বুজিব পৰা গ'ল, আমানুল্লাৰ বিৰুদ্ধে এই প্ৰচাৰ কাৰ্য চলাবলৈ হাজাৰ হাজাৰ টকা পানীৰ সোঁতৰ দৰে আহিব লাগিছে, কিন্তু ক'ৰপৰা সেই টকা আহিছে কোনেও নাজানে। বহুতো মোল্লা বা পুৰোহিতে এই কামৰ কাৰণে নিয়মমতে টকা পাব ধৰিলে, দেশৰ সকলোতে বিয়পি পৰি, এওঁলোকে প্ৰচাৰ কৰিব ধৰিলে, আমানুল্লা কাফেৰ, ধৰ্ম-দ্ৰোহী। গাৱেঁ গাৱেঁ ৰাণী ছৌৰিয়াৰ অদ্ভুত অদ্ভুত ছবি হাজাৰে হাজাৰে বিলোৱা হ'ল, তাৰ কোনোখনত তেওঁ য়ুৰোপীয় মহিলাৰ পৰিচ্ছদ পিন্ধা, কোনোখনত বা কেৱল এটি সামান্য পৰিধান পিন্ধা—এই ছবিবেই মানুহক বুজোৱা হৈছে—কি অশোভন আৰু শলিনতাহীন পোছাক পিন্ধি তেওঁ বাহিৰত ঘূৰি ফুৰিছে। এনে ব্যাপক আৰু বহু ব্যয়ৰ প্ৰচাৰ কাৰ্য চলাইছিল কোনে? আফগানসকলৰ এনে প্ৰচাৰ চলাবলৈ টকা নাছিল, শিক্ষাও নাছিল,—তেওঁলোক কেৱল এইবোৰ প্ৰচাৰৰ কাৰণে যোগ্য আছিল। মধ্যপ্ৰাচ্য আৰু য়ুৰোপৰ বহুতেই তেতিয়া বিশ্বাস কৰিছিল, আৰু কৈছিল, এই প্ৰচাৰ কাৰ্যৰ পিছত আছিল বৃটিছ চোৰাংচোৱা বিভাগ। এনে কথাবোৰ অৱশ্যে কোনো দিনেই প্ৰমাণ কৰিব পৰা নাযায়। এই কামৰ লগত বৃটিছসকলৰ সংশ্ৰৱ থাকিব পাৰে এনে কোনো প্ৰমাণ তেতিয়া পোৱা নগৈছিল। কিন্তু শুনিব পোৱা যায় হেনো আফগান বিদ্ৰোহীসকল সজ্জিত হৈ আছিল বৃটিছৰ ৰাইফলেৰে। সি যিয়েই নহওক, আফগানিস্থানত আমানুল্লাৰ প্ৰতিষ্ঠা নষ্ট কৰি পেলোৱাত ইংলেণ্ডৰ স্বাৰ্থ আছিল,—এই কথাটো তেতিয়া সকলোৱে বুজিবপৰা গৈছিল।

আফগানিস্থানত যেতিয়া তেওঁৰ ভৱিৰ তলত থকা মাটি এনেদৰে নৰক-কৰক হৈ আছিল, আমানুল্লাই তেতিয়া য়ুৰোপৰ ৰাজধানীত বিৰাট ধৰণৰ অভ্যৰ্থনা লৈ ফুৰিছিল। তেওঁৰ সংকল্পিত সংস্কাৰ সাধনৰ কাৰণে নতুন উদ্যমেৰে পৰিপূৰ্ণ হৈ তেওঁ দেশলৈ উভতি আহিল, নতুন নতুন কল্পনাৰে তেওঁৰ

মন ভৰা, আঙোৰাত কামাল পাছাৰ লগত এবাৰ তেওঁৰ সাক্ষাৎ হৈছে, তেওঁৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আৰু বাঢ়িছে। দেশলৈ আহিয়েই তেওঁ সেইবোৰ নতুন সংস্কাৰ প্ৰবৰ্ত্তনৰ আয়োজনত লাগি গ'ল। উচচবংশীয় সম্ভ্ৰান্ত লোকসকলৰ যিবোৰ পুৰুষানুক্ৰমে পদবী চলি আছিল সেইবোৰ তেওঁ তুলি দিলে; মোল্লা, মৌলবী আদি ধৰ্ম-গুৰুসকলৰ ক্ষমতা কমাই দিবলৈ চেষ্টা কৰিলে। শাসনকাৰ্যৰ কাৰণে প্ৰজাৰ অনুগত এখন মন্ত্ৰী পৰিষদ বা কেবিনেট গঢ়িবলৈ বিচাৰিলে; যদিও সেইটো কৰা মানেই আছিল তেওঁৰ নিজৰ স্বৈৰতন্ত্ৰী ক্ষমতাক বহুখিনি খৰ্ব কৰা। মহিলাসকলৰ মুক্তিৰ ব্যৱস্থাও লাহে লাহে বঢ়াব ধৰিলে।

তলে তলে জুই জ্বলি আছিল, হঠাৎ এদিন সেই জুই দাউ-দাউকৈ জ্বলি উঠিল; ১৯২৮ চনৰ শেষৰ ফালে দেশত বিদ্ৰোহ আৰম্ভ হ'ল। বিদ্ৰোহ লাহে লাহে দেশ জুৰি বিয়পি পৰিল, বাচছা-ই ছাকো নামৰ এজন সাধাৰণ পানীৱালা ইয়াৰ নেতা। ১৯২৯ চনৰ বিদ্ৰোহীসকলে জয়লাভ কৰিলে, আমানুল্লা আৰু ৰাণী চৌৰিয়া দেশ এৰি পলাই গল। পানীৱালা বাচছা-ই ছাকো এইবাৰ আমীৰ হৈ বহিল। পাঁচ মাহ ধৰি বাচছা-ই ছাকোই কাবুলত ৰাজত্ব কৰিলে; তাৰ পিছত তেওঁক আঁতৰাই দিলে নাদীৰখাঁই—আমানুল্লাৰ এওঁ আছিল এজন সেনাপতি আৰু মন্ত্ৰী। নাদীৰ খাঁই নিজৰ কাৰণেই যুঁজিছিল, জয়লাভ কৰাৰ পিছত তেওঁ নিজেই দেশৰ ৰজাৰ আসনত উঠি বহিল-তেওঁৰ নাম হল নাদীৰ চাহ। দেশত বাৰে বাৰে গণ্ডগোল আৰু বিশৃঙ্খল ঘটনা ঘটিব ধৰিলে, কিন্তু নাদীৰ চাহৰ ৰাজত্বও চলিব ধৰিলে, যিহেতু তেওঁ ইংলণ্ডৰ মিত্ৰ আছিল, আৰু তেওঁলোকৰপৰা সহায় পাইছিল। বৃটিছ চৰকাৰে তেওঁক বহুত টকা বিনা সুদে ধাৰ দিলে, আৰু ৰাইফল আৰু খাৰ বাৰুদ সৰবৰাহ কৰিও সহায় কৰিলে। আফগানিস্থানৰ বিশৃঙ্খল অৱস্থাৰ কাৰণে দায়ী বহুখিনি ইয়াৰ ভৌগোলিক অৱস্থানো, দুটা প্ৰবল প্ৰতিদ্বন্দ্বী সাম্ৰাজ্যৰ মাজত প্ৰাচীৰৰ দৰে ই থিয় হৈ আছে।*

আফগানিস্থান, পশ্চিম এচিয়া আৰু দক্ষিণ এচিয়াৰ কথা মোৰ কোৱা শেষ হ'ল। এচিয়াৰ দক্ষিণ পূব কোণত বৰ্ত্তমানে কিছুমান ঘটনা ঘটিছে, এইবাৰ মই তাৰ কথা সংক্ষেপে কৈ এই চিঠিখন শেষ কৰিম।

ব্ৰহ্মদেশৰ পূবফালে শ্যাম—পৃথিৱীৰ এই অঞ্চলত এই দেশখনেই আজিলৈকে ইয়াৰ স্বাধীনতা বজাই ৰাখিব পাৰিছে। দেশখন আছে বৃটিছৰ ব্ৰহ্মদেশ আৰু ফৰাচী ইন্দোচীনৰ মাজত হেঁচা খায়। পুৰণি ভাৰতীয় ৰীতিৰ সৌৰৱণিৰে দেশখন ভৰপূৰ। ইয়াৰ পুৰণি ৰীতি নীতি,-সংস্কৃতি আৰু উৎসৱ অনুষ্ঠানত আজিও ভাৰতীয় চীন স্পষ্ট। অলপ দিন আগতেও শ্যামত স্বৈৰতন্ত্ৰী প্ৰতিষ্ঠিত আছিল। সামাজিক ব্যৱস্থাত সামন্তবাদৰ বহুখিনি পৰিচয় পোৱা গৈছিল, সৰু এটি মধ্যবিত্ত শ্ৰেণীও গঢ়ি উঠিছিল। ইয়াৰ ৰজাসকলৰ নাম বোধকৰোঁ প্ৰায়েই হয় 'ৰাম' লগাই, এই নামটো দেখিও ভাৰতবৰ্ষৰ কথা মনত পৰে। প্ৰথম ৰাম, দ্বিতীয় ৰাম, ইত্যাদি নামৰ ৰজাসকলে ইয়াত ৰাজত্ব কৰি গৈছে। বিশ্ব-যুদ্ধৰ সময়ত যেতিয়া দেখা

---

* ১৯৩৩ চনৰ নবেম্বৰ মাহত নাদীৰ চাহ আততায়ীৰ হাতত নিহত হ'ল আৰু তেওঁৰ ডেকা ল'ৰাই উত্তৰাধিকাৰী সূত্ৰে সিংহাসন লাভ কৰিলে, তেওঁৰ [illegible] হল ৰজা জাহীৰ চাহ।

গল মিত্ৰপক্ষৰ জয় প্ৰায় নিশ্চিত হৈ উঠিছে, তেতিয়া শ্যামে গৈ মিত্ৰ পক্ষৰ লগত যোগ দিলে, পিছত ই জাতি-সংঘৰ সভ্য হৈ পৰিল।

১৯৩২ চনৰ জুন মাহত শ্যামৰ ৰাজধানী বেঙ্কক চহৰত এটি প্ৰাসাদ বিপ্লৱ ঘটিল, যাৰ ফলত স্বেচ্ছাচাৰমূলক শাসনতন্ত্ৰৰ অৱসান হ'ল আৰু শ্যাম পিপলচ্ পাৰ্টিৰ (বা শ্যাম প্ৰজা পাৰ্টিৰ) কৰ্তৃত্বত প্ৰজাতান্ত্ৰিক শাসন আৰম্ভ হ'ল। লুয়াঙ প্ৰাদিত নামৰ এজন আইন ব্যৱসায়ীৰ নেতৃত্বত শ্যামৰ এদল তৰুণ সৈন্য বাহিনীয়ে আৰু কেইজনমান মিলি ৰজা, ৰাজপৰিয়াল আৰু ৰাজ্যৰ মুখ্য মন্ত্ৰীসকলক বন্দী কৰিলে আৰু ৰজা-প্ৰজাবিলাকক এখন শাসন তন্ত্ৰ গ্ৰহণ কৰিবলৈ বাধ্য কৰালে। ইয়াৰ ফলত ৰজাৰ ক্ষমতা কমিল আৰু জনসাধাৰণৰ নিৰ্ব্বাচিত 'ব্যৱস্থা পৰিষদৰ' সৃষ্টি হ'ল। এই পৰিৱৰ্ত্তনৰ পিছত জনসাধাৰণৰ সমৰ্থন আছিল হয়, কিন্তু ই গণ-বিপ্লৱৰ ফলত ঘটা নাছিল। তৰুণ তুৰ্কীৰ দলে যি ভাবে চুলতান আব্দুল হামিদৰ স্বেচ্ছাচাৰ দূৰ কৰিছিল, শ্যামৰ এই ঘটনাটিও বহুখিনি তেনে ধৰণৰ। ৰজাই ততাতৈয়াকৈ এওঁলোকৰ দাবী স্বীকাৰ কৰি ললে বুলিয়েই সঙ্কট এৰাই যাব পাৰিলে, কিন্তু তেওঁ যে ইমান সোনকালে এই পৰিৱৰ্ত্তনৰ কথা মানি ললে তাত তেওঁৰ আন্তৰিকতা নাছিল। ১৯৩৩ চনৰ এপ্ৰিল মাহত ৰজাই আকৌ প্ৰজা পৰিষদ ভাঙি দিলে আৰু লায়াঙ প্ৰাদিতক নিৰ্ব্বাসিত কৰিলে। দুমাহৰ পিছত আৰু এটি আকস্মিক বিপ্লৱ ঘটিল, আৰু প্ৰজা পৰিষদ আকৌ মূৰ তুলি উঠিল। শ্যামৰ এই নতুন চৰকাৰে ইংলেণ্ডৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰা নাই, বৰং জাপানৰ প্ৰতি তেওঁলোক বেছি আকৃষ্ট।*

শ্যামৰ পূবত ফৰাচী ইন্দোচীন. তাতো জাতীয়তাবাদে বিস্তাৰ লাভ কৰিছে, দিনে দিনে তাৰ শক্তি বাঢ়ি গৈছে। ফৰাচী চৰকাৰে এই জাতীয়তাবাদক পিহি মাৰিবলৈ চেষ্টা কৰিছে, বহুতো ষড়যন্ত্ৰৰ মোকৰ্দ্দমা খিয় কৰাইছে, অসংখ্য লোকক দীঘলীয়া কাৰাবাসত নিক্ষেপ কৰিছে। ১৯৩৩ চনৰ মাৰ্চ মাহত জেনেভাত নিৰস্ত্ৰীকৰণ সন্মিলনৰ এখন বৈঠক হয়। এই সভাত ফৰাচী প্ৰতিনিধিয়ে যি কথা কৈছিল তাৰপৰাই ইয়াৰ সুন্দৰ প্ৰমাণ পোৱা যায়। এই প্ৰতিনিধিজনৰ নাম মঁছিয়ে ছাৰাউ, এওঁ নিজেই এসময়ত ফৰাচী ইন্দোচীনৰ গভৰ্ণৰ আছিল। বক্তৃতা প্ৰসঙ্গত তেওঁ কলে, "অধীনত থকা উপনিৱেশবোৰত ক্ৰমে জাতীয়তাবাদ বাঢ়ি আহিছে। এইবোৰ দেশক শাসন কৰা দিনে দিনে অতিশয় কঠিন হৈ আহিছে।" প্ৰমাণ স্বৰূপে তেওঁ ফৰাচী ইন্দোচীনৰ দৃষ্টান্ত দেখুৱায়-তাত এতিয়া শান্তি ৰক্ষাৰ কাৰণে ১০,০০০ সৈন্য মজুত ৰাখিবলগীয়া হয়, তেওঁ যেতিয়া তাত গভৰ্ণৰ আছিল সৈন্য ৰখা হৈছিল মাথোন ১,৫০০।

সকলোৰে শেষত জাভাৰ কথা কৈছোঁ। জাভা হৈছে ওলণ্ডাজ পূৰ্ব ভাৰ-তীয় দ্বীপপুঞ্জৰ ভিতৰুৱা দেশ। চেনি আৰু ৰবৰৰ কাৰণে প্ৰসিদ্ধ। আকৌ ইয়াৰ বাগিচা আৰু পথাৰৰ মজদুৰসকলৰ ওপৰত যি ভৰণ-পোষণ চলোৱা হৈছিল, তাৰ কাৰণেও ঠাইখন প্ৰসিদ্ধ হৈ আছে। ভাৰতবৰ্ষৰ দৰে ইয়াতো জাতীয়তা-বাদ বাঢ়ি অহাৰ লগে লগে অলপ অচৰপ শাসন সংস্কাৰ হৈছে, আৰু তাৰ লগে

১৯৩০ চনৰ অক্টোবৰ মাহত ৰাজপন্থীসকলৰ এটি বিদ্ৰোহ হৈছিল, কিন্তু সেই বিদ্ৰোহ দমন কৰা হ'ল, আৰু লায়াঙ প্ৰাদিতৰ নেতৃত্বতে শাসন চলিব ধৰিলে।

লগেই আহিছে বহুখিনি দমন ব্যৱস্থা। জাভাবাসীসকলৰ বেছিভাগেই মুছলমান। বিশ্বযুদ্ধ আৰু তাৰ পিছৰ সময়খিনিত পশ্চিম এচিয়াত বিবোৰ ঘটনা ঘটিছে তাৰ দ্বাৰা এওঁলোক প্ৰভাৱান্বিত হৈছিল আৰু তেওঁলোকে ভাৰতৰ অসহযোগ আন্দোলনৰ প্ৰতিও সহানুভূতিশীল আছিল। ১৯১৬ চনত ওলন্দাজ চৰকাৰে জাভাবাসীসকলক শাসন সংস্কাৰ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল, আৰু বাটাভিয়াত গণ-পৰিষদ স্থাপিত হৈছিল। কিন্তু এই পৰিষদৰ সভ্যসকল অধিকাংশই মনোনীত আছিল আৰু তেওঁলোকৰ হাতত অতি সামান্য ক্ষমতা দিয়া হৈছিল, সেই কাৰণেই ইয়াৰ বিৰুদ্ধে আন্দোলন চলাব ধৰিলে। ১৯২৫ চনত এক নতুন শাসনতন্ত্ৰ চলোৱা হ'ল। কিন্তু তাতো বেছি সুযোগ পোৱা ন'গল। কাৰণ জনসাধাৰণ সন্তুষ্ট ন'হল। জাভা আৰু সুমাত্ৰাত ধৰ্মঘট আৰু মৰুৱা মৰামৰি হ'ল। ১৯২৭ চনত ওলন্দাজৰ বিৰুদ্ধে এটা ডাঙৰ বিদ্ৰোহ হয় আৰু সেই বিদ্ৰোহ অতি নিষ্ঠুৰভাৱে দমন কৰা হয়। সি যি নহওক, জাতীয় আন্দোলন আগুৱাই যাব ধৰিলে। গঠনমূলক কৰ্মক্ষেত্ৰত জাতীয়তাবাদীসকলে বহুতো জাতীয় বিদ্যালয় গঢ়ি তুলিলে, আৰু ভাৰতক অনুসৰণ কৰি কুটিৰ শিল্প আৰু কাৰিকৰী বিদ্যা বঢ়াবলৈ উৎসাহ দিব ধৰিলে। স্বাধীনতাৰ সংগ্ৰাম এতিয়াও চলিছে। জাভাৰ চেনি শিল্পৰ বৰ ক্ষতি হৈছে, তাৰ কাৰণ গোটেই পৃথিবীৰ অৰ্থনৈতিক সংকট আৰু শুল্ক সংৰক্ষণৰ ধাৰ্য্যৰ কাৰণে ইয়াৰ বহিঃ বাণিজ্যৰ ক্ষেত্ৰ সংকীৰ্ণ হৈ পৰিছে।

জাভাৰ পূবফালে সাগৰত ১৯৩৩ চনৰ প্ৰথম ভাগত এটি অদ্ভুত ঘটনা ঘটি গৈছে। ওলন্দাজসকলৰ এখন যুদ্ধ-জাহাজৰ নাবিকসকলৰ বেতন কমাই দিয়া হৈছিল প্ৰতিবাদ হিচাপে তেওঁলোকে জাহাজখনকে দখল কৰি ললে, জাহাজ খুলি বন্দৰৰপৰা বাহিৰ হৈ গ'ল। জাহাজৰ কোনো ক্ষতি অৱশ্যে তেওঁলোকে নকৰিলে, ভাল কৰি বুজাই দিলে যে তেওঁলোকে কেৱল তেওঁলোকৰ কাৰণেই এইবোৰ কৰিছে, ই এক প্ৰকাৰৰ উগ্ৰ ধৰ্মঘট। এতেকে তেতিয়া ওলন্দাজৰ উৰা জাহাজ গৈ সেই যুদ্ধ জাহাজখনৰ ওপৰত বোমা বৰ্ষণ কৰিলে নাবিকসকলৰ বহুতো লোকক মাৰি পেলালে আৰু এইভাৱে জাহাজখন আকৌ দখললৈ আনিলে।

এচিয়াৰ সকলোতে সেই একে গল্পৰে পুনৰাবৃত্তি, জাতীয়তাবাদ আৰু সাম্ৰাজ্যবাদৰ মাজত সংগ্ৰাম। এইবাৰ এচিয়া এৰি আমি য়ুৰোপলৈ যাম। য়ুৰোপক চোৱাটো আমাৰ আৱশ্যক হৈ পৰিছে। যুদ্ধোত্তৰ যুগত য়ুৰোপৰ অৱস্থালৈ আমি এতিয়াও আলোচনা কৰা নাই। অথচ এতিয়াও গোটেই পৃথিবীৰ অৱস্থা নিৰূপণ হৈছে, য়ুৰোপৰ অৱস্থাৰ পৰাই—এতেকে ইয়াৰ পিচৰ কেইখনমান চিঠিত মই য়ুৰোপৰ কথাকে কম।

এচিয়াৰ দুটা অংশৰ কথা এতিয়াও কবলৈ বাকী আছে; দুখন ডাঙৰ দেশৰ কথা—চীন দেশ আৰু তাৰ উত্তৰত থকা চোভিয়েটৰ দেশ। পিচত এসময়ত আমি এওঁলোক'ৰ বিষয়ে আলোচনা কৰিম।

১৭১

যি বিপ্লৱ নঘটিল

১৩ জুন, ১৯৩৩

জি, কে, চেষ্টাৰটন বৰ্তমান ইংলেণ্ডৰ এজন বিখ্যাত লেখক। তেওঁ এঠাইত কৈছে, ঊনৈশ শতাব্দীত ইংলেণ্ডৰ আটাইতকৈ ডাঙৰ ঘটনা হৈছে সেই বিপ্লৱটো যিটো বিপ্লৱ নঘটিল। তোমাৰ মনত আছে নিশ্চয়, ঊনবিংশ শতাব্দীত ইংলেণ্ডত কেইবাৰমান বিপ্লৱ একেবাৰে হওঁ হওঁ অৱস্থা পাইছিল, বিপ্লৱ মানে সাধাৰণ বুৰ্জোৱা আৰু শ্ৰমিকসকলৰদ্বাৰা অনুষ্ঠিত সমাজ-বিপ্লৱ। কিন্তু প্ৰত্যেক বাৰেই শাসক শ্ৰেণীয়ে একেবাৰে শেষ মুহূৰ্তত অলপমান মুৰ দোঁৱাইছিল। ভোটৰ অধিকাৰ বঢ়াই দি পালিয়ামেণ্টৰী শাসন ব্যৱস্থাত অলপমান বাহিৰফালৰ অংশ প্ৰজাবিলাকক দিছিল; বিদেশত সাম্ৰাজ্যবাদী শোষণ চলাই যি লাভ কৰি আহিছিল তাৰো অলপ-মান তেওঁলোকক দিছিল আৰু এই ভাবেৰেই হওঁ হওঁ বিপ্লৱক পিচুৱাই ৰাখিছিল। সাম্ৰাজ্যৰ সীমা তেতিয়া দিনে দিনে বাঢ়ি গৈছে, এই সাম্ৰাজ্যৰপৰা তেওঁলোকৰ লাভো হৈছিল যথেষ্ট। এতেকে এই ব্যৱস্থা কৰোতে তেওঁলোকৰ কোনো অসুবিধা নাছিল। এতেকে বিপ্লৱ ইংলণ্ডত নহল, কেৱল তাৰ হোৱাৰ সম্ভাৱনাই বাৰে বাৰে দেশৰ ওপৰত ছাঁয়া বিস্তাৰ কৰিলে; আৰু সেই বিপ্লৱৰ ভয়তে যি ঘটিবলগীয়া সেইবোৰ ঘটিব ধৰিলে। ইয়াৰ বাবেই চেষ্টাৰটনে কৈছিল, যিটো ঘটনা প্ৰকৃততে নঘটাকৈ থাকিল সেইটোৱেই আছিল যোৱা শতাব্দীৰ আটাইতকৈ ডাঙৰ ঘটনা।

ঠিক এই ভাবেই হয়তো ইয়াকো কব পাৰি যে যুদ্ধোত্তৰ যুগত পশ্চিম য়ুৰোপৰ আটাইতকৈ ডাঙৰ ঘটনা আছিল ঘটিবলগীয়া যি বিপ্লৱ শেষত নঘটিল সেইটোৱেই। ৰুচিয়াত বলচেভিক বিপ্লৱ ঘটিল যি কাৰণত, সেই কাৰণবোৰ মধ্য আৰু পশ্চিম য়ুৰোপৰ দেশসমূহতো বৰ্তমান আছিল, অৱশ্যে অতি কম পৰিমাণে। পশ্চিমে য়ুৰোপৰ ইংলেণ্ড, জাৰ্মাণী, ফ্ৰান্স ইত্যাদি শিল্প প্ৰধান দেশ সমূহৰ লগত ৰুচিয়াৰ প্ৰধান পাৰ্থক্য আছিল এঠাইত—ৰুচিয়াত কোনো শক্তিশালী বুৰ্জোৱা শ্ৰেণী নাছিল। মাৰ্ক্সৰ মত অনুসৰি বিপ্লৱ প্ৰথমে আৰম্ভ হোৱাৰ কথা আছিল, প্ৰকৃততে এই শিল্পত আগবঢ়া দেশসমূহত—পিচ পৰা দেশ ৰুচিয়াত নহয়, কিন্তু বিশ্বযুদ্ধৰ হেচাঁত জাৰৰ পুৰণি কাঠামোটো ভাঙি খহি পৰিল আৰু সেই মুহূৰ্ততে তাৰ ঠাইত আহি পাৰস্য দেশবোৰৰ দৰে এখন পালিয়ামেণ্ট গঠন কৰি শাসনকাৰ্য চলাই নিব পাৰে এনে শক্তিশালী মধ্যবিত্ত শ্ৰেণী বুলিবলৈ কোনো নাছিল বুলিয়েই তেতিয়া

বনুৱাসকলৰ চোভিয়েটবোৰে আহি ক্ষমতা দখল কৰিলে। ৰুচিয়া আছিল অনুন্নত দেশ, সেইটো তাৰ দুৰ্বলতাৰেই কাৰণ, অথচ তাৰ কাৰণেই ই সন্মুখৰ কালে এনেদৰে দীঘল ভৰিৰে আগুৱাই যাবলৈ বাধ্য হ'ল যে তাতকৈ বেছি আগবঢ়া দেশবোৰেও তেনে কৰিবলৈ নোৱাৰিলে—ই এটা আচৰিত কথা। লেনিনৰ নেতৃত্বত বলচেভিকসকলে এই কামত আগুৱাই গ'ল। কিন্তু কোনো ৰকমৰ ভুল আশা তেওঁলোকৰ মনত নাছিল। তেওঁলোকে জানিছিল ৰুচিয়া পিচ পৰা দেশ, আগুৱাই গৈ আগবঢ়া দেশসমূহক লগ ধৰিবলৈ ইয়াৰ সময় লাগিব, কিন্তু তেওঁলোকে আশা কৰিছিল এই যে বনুৱাৰে চালিত প্ৰজাতন্ত্ৰ তেওঁলোকে প্ৰতিষ্ঠা কৰিলে, ইয়াৰ দৃষ্টান্তৰ পৰাই য়ুৰোপৰ আন আন দেশৰো শ্ৰমিকসকলো উৎসাহিত হৈ পৰিব, তেওঁলোকেও তেওঁলোকৰ বৰ্তমান অৱস্থাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিব। তেওঁলোকে জানিছিল, য়ুৰোপৰ সকলোতে যদি এই সমাজ-বিপ্লৱে দেখা দিয়ে, তেতিয়াহে তেওঁলোকৰ জীয়াই থকাৰ আশা, নহলে পৃথিৱীৰ পুঁজিপতি দেশসমূহৰ লগ হৈ ৰুচিয়াৰ এই নৱজাত চোভিয়েট চৰকাৰক একেবাৰে পিহি মাৰি পেলাব।

এই আশা আৰু বিশ্বাস তেওঁলোকৰ আছিল বুলিয়েই বিপ্লৱৰ প্ৰথমকালে, তেওঁলোকে পৃথিৱীৰ গোটেই বনুৱাসকলৰ ওচৰত তেওঁলোকৰ আহ্বান প্ৰচাৰ কৰিবলৈ ধৰিছিল। লোকৰ মাটি দখল কৰি লোৱাৰ যি চক্ৰান্ত সাম্ৰাজ্যবাদী দেশসমূহে সদায় চিন্তা কৰিছে, তাৰ তেওঁলোকে তীব্ৰ নিন্দা কৰিলে—ক'লে, জাৰৰ শাসনত থকা ৰুচিয়াৰ লগত ইংলেণ্ড আৰু ফ্ৰান্সৰ যিবোৰ গোপন সন্ধি হৈছিল, তাৰ ফলত কোনো ৰকমৰ দাবী তেওঁলোকে উৎথাপিত নকৰিব। স্পষ্টভাৱে জনসাধাৰণক বুজাই দিলে, কনষ্টাণ্টিনোপল চহৰ তুৰ্কীসকলৰ হব ; সেই চহৰখন হাত কৰিবলৈ তেওঁলোকে নিবিচাৰে। প্ৰাচ্য জগতৰ দেশবোৰক আৰু জাৰৰ সাম্ৰাজ্যৰ ভিতৰত যিবোৰ উৎপীড়িত আৰু পদানত জাতি আছিল তেওঁলোকক অতি উদাৰ চৰ্তৰে তেওঁলোকে মিত্ৰতাৰ আহ্বান জনালে। সকলোতকৈ ডাঙৰ কথা, গোটেই পৃথিৱী জুৰি বনুৱা শ্ৰেণীৰ হৈ যুদ্ধ কৰিবলৈ প্ৰস্তুত হ'ল তেওঁলোক, সকলো ঠাইৰে বনুৱাসকলক আহ্বান জনায় কলে— আমাৰ দৃষ্টান্ত অনুসৰণ কৰা, সমাজতন্ত্ৰীবাদী, প্ৰজাতন্ত্ৰী জাতীয়তাবাদৰ প্ৰতিষ্ঠা কৰা। জাতীয়তাবাদ অথবা জাতি হিচাপে অকল ৰুচিয়াৰ কোনো মূল্যই তেওঁলোকৰ মনত নাছিল, তেওঁলোকে কেৱল পৃথিৱীৰ সেই অংশটোত মানুহৰ ইতিহাসত সৰ্বপ্ৰথমে শ্ৰমিকসকলৰ দ্বাৰা পৰিচালিত এটি শাসন ব্যৱস্থা প্ৰতিষ্ঠিত হোৱা বুলি ভাবিয়েই শান্ত আছিল।

বলচেভিকসকলে যি আহ্বান শুনুৱালে, জাৰ্মাণ চৰকাৰ আৰু মিত্ৰপক্ষীয় চৰকাৰসমূহে তাক যিমান পাৰে তল পেলাই ৰাখিলে, তথাপি তেওঁলোকৰ আঙুলিৰ ফাঁকেদি ই কিছুপৰিমাণে সৰি পৰি গোটেই ৰণক্ষেত্ৰত আৰু কাৰখানাসমূহত পৰিছিল গৈ। সকলোতে তাৰ ফল হ'ল বিৰাট। ফ্ৰান্সৰ সৈন্যবাহিনীতো ভাঙনৰ আভাস স্পষ্টভাৱেই দেখা গ'ল। জাৰ্মাণীৰ সৈন্য আৰু শ্ৰমিকসকল আৰু বেছি চঞ্চল হৈ উঠিল। জাৰ্মাণীত, হাঙ্গেৰীত, অৰ্থাৎ পৰাজিত পক্ষৰ দেশসমূহত বহুবাৰ হাই-কাজিয়া আৰু বিদ্ৰোহ হ'ল। বহুমাহ প্ৰায় সম্পূৰ্ণ এটা

কি দুটা বছৰ ধৰি মনত হ'ল, য়ুৰোপত এটি বিৰাট সমাজ বিপ্লৱৰ সম্ভাৱনা আসন্ন হৈ উঠিছে। বিজয়ী মিত্ৰপক্ষৰ দেশবোৰৰ অৱস্থা এই পৰাজিত দেশবোৰৰ তুলনাত অলপ অচৰপ ভাল আছিল। যুদ্ধত জয়লাভ কৰাৰ ফলত তেওঁলোকৰ মনত উৎসাহ কিছুপৰিমাণে বাঢ়িছে, আশা হৈছে (পিছৰ কালছোৱাত অৱশ্যে দেখা গ'ল সেই আশা একেবাৰেই ভুৱা) যুদ্ধত তেওঁলোকে যি ক্ষতি সহিবলগীয়া হৈছে, পৰাজিত পক্ষৰ মূৰত কঠাল ভাঙি বহুদূৰ পূৰণ কৰি লোৱা যাব। কিন্তু সেই মিত্ৰপক্ষৰ দেশবোৰতো মানুহৰ মনত বিপ্লৱৰ বতাহ পাত লাগিল। প্ৰকৃততে য়ুৰোপ আৰু এচিয়াৰ সকলোতে তেতিয়া অসন্তোষ আৰু বিক্ষোভৰ বতাহ তেতিয়া ৰৰ ঘণীভূত হৈ পৰিছে—বাহিৰত হয়তো পৃথিৱীৰ ৰূপ প্ৰশান্ত, কিন্তু ভিতৰত বিপ্লৱৰ জুই উমি উমি জ্বলিব ধৰিছে ; তাৰ স্পষ্ট গৰ্জন শুনিব পোৱা গৈছে, যিকোনো মুহূৰ্ততে সেই জুয়ে একেবাৰে সংহাৰ-মূৰ্তি ধৰিব পাৰে, তাৰো সম্ভাৱনা দেখা গৈছে। কিন্তু তাৰেই ভিতৰত আকৌ এচিয়া আৰু য়ুৰোপৰ মাজত অসন্তোষৰ কাৰণ আৰু বিপ্লৱ ঘটাবলৈ উদ্যত হোৱা শ্ৰেণীসমূহৰ প্ৰকৃতিত, অলপ পাৰ্থক্য আছে। এচিয়াৰ বিদ্ৰোহ হৈছে, পাশ্চাত্য জাতিবোৰে ইয়াত যি সাম্ৰাজ্যবাদ প্ৰতিষ্ঠা কৰিছে তাৰ বিৰুদ্ধে, সেই জাতীয় বিদ্ৰোহৰ নেতৃত্ব কৰিছে মধ্যবিত্ত শ্ৰেণীয়ে, য়ুৰোপৰ বিদ্ৰোহ ঘটাব বিচাৰিছে শ্ৰমিক শ্ৰেণীয়ে। বুৰ্জোৱা পুঁজিপতিসকলৰ প্ৰতিষ্ঠিত যি সমাজ-ব্যৱস্থা আছিল তেওঁলোকে তাকেই লোপ কৰিব বিচাৰে, মধ্যবিত্ত শ্ৰেণীৰ পৰা ক্ষমতা কাঢ়ি নিব বিচাৰে।

ইমান তৰ্জন-গৰ্জন, ইমান আয়োজন সত্ত্বেও কিন্তু ৰুচ-বিপ্লৱৰ দৰে কোনো ঘটনা মধ্য বা পশ্চিম য়ুৰোপত নঘটিল। পুৰণি ব্যৱস্থাৰ ওপৰত যি আক্ৰমণ তাত কৰা হৈছিল তাক সহ্য কৰি বাচি থকাৰ শক্তি ইয়াত তেতিয়াও আছিল। তথাপি, সেই আঘাতে ইয়াক দুৰ্বল কৰি পেলালে—ভয় খুৱালে, আৰু তাৰ কাৰণেই চোভিয়েট ৰুচিয়াই ৰক্ষা পালে। আঁৰৰপৰা এই দেশবোৰ শক্তিয়ে যদি ইয়াক সহায় নকৰিলেহেঁতেন, তেন্তে খুব সম্ভৱ ১৯১৯ বা ১৯২০ চনতে সাম্ৰাজ্যবাদী জাতি-সমূহৰ আক্ৰমণত চোভিয়েট ৰুচিয়া শেষ হৈ গলহেঁতেন।

যুদ্ধৰ পিছত এটা এটাকৈ বছৰ বাগৰি যাব ধৰিলে, মনত হ'ল পৃথিৱীত লাহে লাহে কিছু পৰিমাণে শৃংখলা ঘূৰি আহিছে। একালে প্ৰগতি বিৰোধী ৰক্ষণশীল, ৰাজতন্ত্ৰবাদী আৰু সামন্তপন্থী জমিদাৰসকল, আনকালে নৰমপন্থী আৰু সামন্তপন্থী সমাজতন্ত্ৰ বাদী বা চচ্ছিয়েল ডেমক্ৰেটসকল। এওঁলোকৰ মাজত এটা অদ্ভুত মিত্ৰতা স্থাপন হ'ল, এওঁলোকৰ যুটীয়া আক্ৰমণৰ ফলত বিপ্লৱবাদীসকল পৰাজিত হৈ গ'ল। এওঁলোকৰ মাজত যে মিত্ৰতা বৰ আচৰিত ঘটনা সন্দেহ নাই, কাৰণ চচ্ছিয়েল ডেমক্ৰেটসকল নিজকে মাৰ্ক্সবাদী আৰু শ্ৰমিক শাসিত শাসন ব্যৱস্থাত আস্থাশীল বুলি প্ৰচাৰ কৰিছিল। এতেকে বাহিৰৰপৰা দেখাত তেওঁলোকৰ আদৰ্শটো ঠিক চোভিয়েট বা কমিউনিষ্টসকলৰ লগত একে আছিল। অথচ পুঁজিপতিসকলে কমিউনিষ্টসকলক বিৰাগিৰি ভয় কৰিছিল, এই চচ্ছিয়েল ডেমক্ৰেটসকলে তাতকৈও বেচি ভয় কৰিছিল ; এতেকে পুঁজিপতিসকলৰ লগত লগ হৈ তেওঁলোকে কমিউ-নিষ্টসকলক বিচূৰ্ণ কৰিবলৈ লাগি গ'ল। অথবা, ইও হ'ব পাৰে, হয়তো পুঁজিপতি

সকলেই এওঁলোকে ইমান ভয় কৰি চলিছিল যে তেওঁলোকৰ বিৰুদ্ধে যাবলৈ সাহস তেওঁলোকে নাপালে, এওঁলোকৰ হয়তো আশা আছিল, শান্তিপূৰ্ণ ৰীতিৰে আৰু আইন-সঙ্গতভাৱে এওঁলোকে নিজৰ ভোট টনকিয়াল কৰি লব, আৰু এই ভাবে প্ৰায় নিয়ন্ত্ৰণৰ আলমত নিজৰ সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিব। কিন্তু মনৰ উদ্দেশ্য তেওঁলোকৰ যিয়েই নহওক, কামত তেওঁলোকে বিপ্লৱীশক্তিক চূৰ্ণ কৰিবলৈ প্ৰগতিবিৰোধীসকলক সহায় কৰিলে, আৰু তাকে কৰিবলৈ গৈ য়ুৰোপৰ বহুতো দেশত প্ৰকৃত পক্ষে একোটি প্ৰতি বিপ্লৱৰ সৃষ্টি কৰি পেলালে। সেই প্ৰতি বিপ্লৱে আকৌ ওলোটাই এই চছিয়েল ডেমক্ৰেট দলবিলাকক ধ্বংস কৰি পেলালে—আৰু তেতিয়া ক্ষমতা অধিকাৰ কৰি বহিল নতুন কেতবোৰ উগ্ৰ সমাজতন্ত্ৰ বিৰোধীদলে। মুঠতে কবলৈ গলে, বিশ্ব যুদ্ধ শেষ হোৱাৰ পিছত এই কেইবছৰ ধৰি য়ুৰোপৰ ঘটনাৰ গতি এই পথেৰেই চলিছে।

কিন্তু সংগ্ৰাম আজিও শেষ হোৱা নাই, পুঁজিপতি আৰু সমাজতন্ত্ৰী—এই দুই প্ৰতিদ্বন্দ্বী শক্তিৰ মাজত যুদ্ধ এতিয়াও সমানেই চলিছে। দুয়োপক্ষৰ মাজত সাময়িক সন্ধি বা আপোচ ব্যৱস্থা ইয়াৰ আগতেও হৈছে, হয়তো ভৱিষ্যততো হব, তথাপি এওঁলোকৰ ভিতৰত কোনো স্থায়ীভাৱে আপোচ হোৱাৰ কোনো সম্ভাৱনাই নাই। ৰুচিয়াই তেওঁলোকৰ কমিউনিজিম্ লৈ এফালে থিয় হৈ আছে, আনফালে আছে পশ্চিম য়ুৰোপ আৰু আমেৰিকাৰ ডাঙৰ ডাঙৰ সকলো পুঁজিপতি দেশ—দুয়োৰে মাজত দুৰ্লংঘ্য মহাসাগৰ। এওঁলোকৰ মাজত পৰি উদাৰপন্থী, নৰমপন্থী আদি মাজৰ দলবিলাক সকলোতেই নিশ্চিহ্ন হৈ গল। পৃথিৱীৰ সকলোতে মানুহৰ অৰ্থনৈতিক জীৱন যাত্ৰা সম্পূৰ্ণ ওলট-পালট হৈ গল, মানুহৰ দুখ-দুৰ্গতি দিনে দিনে বাঢ়িব ধৰিলে, সংগ্ৰাম আৰু বিক্ষোভৰ এইটোৱেই প্ৰকৃত কাৰণ। ইয়াৰ এটি বিহিত ব্যৱস্থা যেতিয়ালৈকে নহয়, এটি ভাৱসাম্য যেতিয়ালৈকে প্ৰতিষ্ঠিত নহয়—তেতিয়ালৈকে এই কাজিয়াও চলি থাকিব।

যুদ্ধৰ পিচৰপৰা এতিয়ালৈকে যত যিমান বিপ্লৱৰ ব্যৰ্থ চেষ্টা হৈছে, তাৰ ভিতৰত জাৰ্মাণৰ কাহিনীটো আটাইতকৈ মন কৰিবলগীয়া, তাৰ ভিতৰত শিকিবলগীয়া বহুত কথা আছে। ইয়াৰ কথা অলপ তোমাক কৈছোঁ। আগতে কৈছোঁ। —যুদ্ধ কেতিয়া হ'ল—তাৰ ধামখুমীয়াত পৰি য়ুৰোপৰ কোনো দেশৰেই সমাজতন্ত্ৰবাদীসকলে তেওঁলোকৰ আদৰ্শ আৰু প্ৰতিশ্ৰুতি অক্ষুণ্ণ ৰাখিব নোৱাৰিলে। প্ৰত্যেক দেশতে উগ্ৰ জাতীয়তাবাদৰ তীব্ৰ সোঁতত এওঁলোক প্ৰবল বেগেৰে ভাঁহি ভাঁহি যাব ধৰিলে, সমাজতন্ত্ৰবাদৰ যি আন্তৰ্জাতিক মিত্ৰতাৰ আদৰ্শ এওঁলোকৰ আছিল, সেইবোৰ পাহৰি গৈ যুদ্ধৰ বাগীত ৰক্তপাতৰ কাৰণে মতলীয়া হৈ পৰিল। যুদ্ধৰ ঠিক আগ মুহূৰ্তত ১৯১৪ চনৰ ৩০ জুলাই তাৰিখে জাৰ্মাণৰ চছিয়েল ডেমক্ৰেটিক দলৰ নেতাসকলে ঘোষণা কৰিছিল—হাপচবুৰ্গসকলৰ সাম্ৰাজ্যবাদী চক্ৰান্ত সিদ্ধি কৰিবৰ কাৰণে "এজন জাৰ্মাণ সৈনিকৰ এটোপা তেজ" পান কৰিবলৈ তেওঁলোকে নিদিব (তেতিয়া কাজিয়া লাগিছিল অষ্ট্ৰীয়া আৰু চাৰ্বিয়াৰ মাজত, অষ্ট্ৰীয়াৰ আৰ্কডিউক ফ্ৰান্স ফাৰ্ডিনাণ্ডৰ হত্যাক উপলক্ষ্য কৰি)। ইয়াৰ ঠিক পাঁচ দিন পিছত এই দলেই যুদ্ধ সমৰ্থন কৰিব ধৰিলে, আন আন দেশত এওঁলোকৰ দৰে আন যিবোৰ দল আছিল, সকলোৱেই তাকে কৰিলে। অষ্ট্ৰীয়াৰ

সমাজতন্ত্ৰীসকলৰ নেতা যিসকল আছিল তেওঁলোককো পোলেণ্ড আৰু প্ৰুছিয়াক জাৰ্মানীৰ সাম্ৰাজ্যৰ ভিতৰুৱা কৰি লোৱাৰ কথাই কবলৈ ধৰিলে—ক'লে, ইয়াৰ দ্বাৰা লোকৰ মাটি দখল কৰা নহব।

বলচেভিকসকলে য়ুৰোপৰ বনুৱাসকলৰ প্ৰতি আহ্বান বাণী প্ৰচাৰ কৰিছিল। ১৯১৮ চনৰ প্ৰথম ভাগত সেই আহ্বানত জাৰ্মাণীৰ শ্ৰমিকসকল অতি চঞ্চল হৈ পৰিল। অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰা কাৰখানাবোৰত কেইটামান বৰ ডাঙৰ ডাঙৰ ধৰ্মঘট হল। জাৰ্মাণ সম্ৰাটৰ চৰকাৰ বৰ বিপদত পৰিল, হয়তো তেতিয়াই তেওঁলোকৰ সৰ্ব-নাশ হব পাৰে। ৰক্ষা কৰিলে সমাজতন্ত্ৰী নেতাসকলে, তেওঁলোক আহি ধৰ্মঘট কমিটিৰ মাজত সোমাই পৰিল, আৰু ভিতৰত থাকি গোলমাল লগাই ধৰ্মঘট ভাঙি দিলে।

১৯১৮ চনৰ ৪ নবেম্বৰ তাৰিখে জাৰ্মাণীৰ কিয়েল বন্দৰত নৌ-সেনাৰ বিদ্ৰোহ হ'ল, জাৰ্মাণ নৌ-বাহিনীৰ ডাঙৰ ডাঙৰ যুদ্ধৰ জাহাজবোৰৰ প্ৰতি সাগৰলৈ যোৱাৰ আদেশ দিয়া হৈছিল। খালাচীসকলে আৰু ষ্টোকাৰসকলে তাত অসন্মতি জনালে। এওঁলোকক দমন কৰিবলৈ সৈন্য পঠোৱা হ'ল। তেওঁলোক গৈ এওঁলোকৰ দলত লগ লাগিল—একেলগে ধৰ্মঘট কৰিলে। সেনাপতিসকলক এওঁলোকে পদচ্যুত কৰিলে বা বন্দী কৰিলে, বনুৱাসকলৰ আৰু সৈন্যসকলৰ কাউন্সিল (চোভিয়েট) গঠন কৰিলে। ঘটনা হলগৈ ৰুচিয়াত চোভিয়েট বিপ্লৱ বিস্তাৰ প্ৰথমতে আৰম্ভ হৈছিল ঠিক তাৰ দৰে। ইয়াৰ বতাহ গোটেই জাৰ্মাণীত বিয়পি পৰিল—এনে সম্ভাৱনাও দেখা গল। চছিয়েল ডেমক্ৰেট নেতাসকলে কিয়েলত গৈ দেখা দিলে, নানান কৌশলেৰে শেষলৈ নাবিক আৰু শ্ৰমিকসকলৰ মন আনফালে চাল ঘূৰালে বিদ্ৰোহ থামিল। কিন্তু এই বিদ্ৰোহী নাবিকসকলে তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ লৈ কিয়েল এৰি গুচি গ'ল, দেশৰ সকলোতে বিয়পি পৰি বিদ্ৰোহৰ বীজ সিঁচিবলৈ ধৰিলে।

বিপ্লৱৰ ঢৌ ক্ৰমে সিচাঁৰত হৈ পৰিছিল। বেভেৰিয়াত (দক্ষিণ জাৰ্মাণী) এখন প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰা হল। কাইজাৰে তেতিয়াও চেষ্টা এৰি নিদিলে। ৯ নবেম্বৰ তাৰিখে বাৰ্লিন চহৰত এটা সাৰ্বজনীন ধৰ্মঘট আৰম্ভ হ'ল। চহৰৰ সকলো কাম কাজ থামি গল। হাই—কাজিয়া বুলিবলৈ একো নহল কাৰণ চহৰৰ সকলো সৈন্যই গৈ বিপ্লৱীসকলৰ দলত যোগ দিলে। কাইজাৰে বুজিব পৰা হ'ল—তাৰ ঠাই এতিয়া কোনে পূৰাব? কেইজনমান কৰিতকৰ্মা নেতা লগ হৈ এখন চোভিয়েট বা প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ উদ্যত হৈছে; এনে সময়তে এজন চছিয়েল ডেমক্ৰেট নেতাই তেওঁলোকক গ'ল ঠেকত পেলালে; এওঁলোকৰ আগতে এখন পালিয়ামেণ্টৰী প্ৰজাতন্ত্ৰ ঘোষণা কৰিছিল।

এনেকৈয়ে জাৰ্মাণ প্ৰজাতন্ত্ৰৰ সৃষ্টি হ'ল, কিন্তু প্ৰজাতন্ত্ৰ হ'ল কেৱল নামত, কোনো ব্যৱহাৰে আচলতে সলনি নহ'ল, চছিয়েল ডেমক্ৰেট সকলে তেতিয়া কৰ্তৃত্ব কৰিছে, তেওঁলোকে য'ত যিটো যেনেকৈ আছিল ঠিক তেনেকৈয়ে প্ৰায় ৰাখিলে। নিজৰ কেইটামান ডাঙৰ ডাঙৰ পদ, মাথোঁ আনি হাত কৰিলে। সৈন্য বাহিনী, চিভিল-চাৰ্ভিছ, বিচাৰ বিভাগ, আৰু দেশৰ সকলো শাসন ব্যৱস্থা, কাইজাৰৰ

আমোলত যেনে আছিল ঠিক তেনেদৰেই থাকিল। এতিয়া এখন কিতাপ ওলাইছে—তাৰ নাম, "কাইজাৰ গৈছে—সেনাপতিসকল ৰৈছে।" এনে ভাৱেৰে বিপ্লৱ নহয় বা শক্তি নাবাঢ়ে। বিপ্লৱৰ কাৰণেই হৈছে দেশৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাক সলনি কৰা। বিপ্লৱৰ বিপক্ষ শত্ৰু তেওঁলোকৰ হাতত্তেই যদি ক্ষমতা দিয়া হয়—তেনেহলে তাৰ পিছতো বিপ্লৱ জীয়াই থাকিব বুলি আশা কৰাই বলিয়ালি। জাৰ্মাণীৰ চছিয়েল ডেমক্ৰেটসকলে কিন্তু ঠিক তাকেই কৰিলে, বিপ্লৱৰ যিসকল বিৰোধীপক্ষ তেওঁলোকৰ হাতত্তেই সকলো সুযোগ সুবিধা এৰি দিলে, যাতে তেওঁলোকে সকলো কালৰপৰা সেই বিপ্লৱৰ গুৰি ধ্বংস কৰি দিব পাৰে। জাৰ্মণীত তেতিয়াও আগৰ দিনৰ যুদ্ধৰ নায়কসকলেই হৈ থাকিল সকলো কথাৰে হৰ্তাকৰ্তা।

কিয়েলৰ নাবিকসকলে দেশত ঘুৰি ঘুৰি বিপ্লৱৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। নতুন চছিয়েলে ডেমক্ৰেট চৰকাৰৰ এইটো মনঃপুত নহল। বাৰ্লিনত তেওঁলোকে এই নাবিকসকলৰ মুখ বন্ধ কৰিবলৈ চেষ্টা কৰিলে, তাৰফলত ১৯১৯ চনৰ জানুৱাৰী মাহৰ প্ৰথম ফালে ভীষণ কাজিয়াৰ সৃষ্টি হ'ল। জাৰ্মাণৰ কমিউনিষ্টসকলে এই চলতে এখন চোভিয়েট চৰকাৰ প্ৰতিষ্ঠাৰ চেষ্টা কৰিলে চহৰৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনালে—'আহক, আমাক সহায় কৰক'। জনসাধাৰণৰপৰা অলপ সাহায্য পালেও। চৰকাৰী অফিচ আৰু ঘৰবোৰ তেওঁলোকে দখল কৰি বহিল, সেই জানুৱাৰী মাহৰ এসপ্তাহ তেওঁলোকেই চহৰৰ হৰ্তা-কৰ্তা হৈ বহিল। এই সপ্তাহটো বাৰ্লিনত 'লাল সপ্তাহ' বুলি প্ৰসিদ্ধ হৈ আছে। কিন্তু জনসাধাৰণৰপৰা যিমানখিনি সঁহাৰি পোৱাৰ এওঁলোকৰ আৱশ্যক আছিল, সিমানখিনি এওঁলোকে নাপালে। তাৰ কাৰণ জনসাধাৰণৰ মাজত অধিকাংশ লোক একেবাৰে অবাক হৈ গৈছিল; তেওঁলোকে কি কৰা দৰকাৰ সেইটোকে ভালদৰে বুজিব পৰা নাছিল। বাৰ্লিনত যিবোৰ সৈন্য আছিল, তেওঁলোকো হতভম্ব হ'ল,—নিৰপেক্ষ হৈ থাকিল। এই সৈন্যবোৰৰ ওপৰত আৰু নিৰ্ভৰ কৰিব পৰা নাযায় কাৰণে চছিয়েল ডেমক্ৰেটসকলে তেতিয়া কিছুমান বিশেষ ধৰণৰ স্বেচ্ছাসেৱক সৈন্যবাহিনী গঠন কৰি ললে, তেওঁলোকৰ সহায়ত কমিউনিষ্টসকলৰ এই বিদ্ৰোহ দমন কৰিলে। অতিশয় নিষ্ঠুৰভাৱে যুদ্ধ কৰিলে এওঁলোকে, কাৰো প্ৰতি অকণো দয়া নেদেখুৱালে। কাৰ্ল লিয়েবনেখ্‌ট্ আৰু ৰজা লুক্সেমবুৰ্গ বুলি দুজন কমিউনিষ্ট নেতা এখন ঠাইত লুকাই আছিল, যুদ্ধ শেষ হোৱাৰ কেইদিনমান পিছত এওঁলোকে বিচাৰি বিচাৰি তালৈ গৈ তেওঁলোকক ধৰি পেলালে, আৰু অতি নীচে সুবিধে ঠাণ্ডা মেজাজেৰে তাতেই তেওঁলোকক হত্যা কৰিলে। যিসকলে এওঁলোকক হত্যা কৰিছিল, পিচত বিচাৰতো তেওঁলোকক কোনো দোষ নাই বুলি খালাচ দিয়া হ'ল। এই হত্যাকাণ্ড আৰু এই বিচাৰৰ ফলত কমিউনিষ্ট আৰু চছিয়েল ডেমক্ৰেটসকলৰ মাজত অতি ভীষণ শত্ৰুতাৰ সৃষ্টি হ'ল। কাৰ্ল লিয়েবনেখ্‌ট আছিল উইলহেলেম লিয়েবনেখটৰ পুতেক। উইলহেলেম উনৈশ শতাব্দীৰ এজন বিখ্যাত আৰু পুৰণি সমাজতন্ত্ৰী মুঁজাৰু, এওঁৰ নাম মই তোমাক আগৰ এখন চিঠিতে কৈছোঁ। ৰোজা লুক্সেমবুৰ্গৰ পুৰণি কৰ্মী আৰু লেনিনৰ এজন পৰম বন্ধু। বহুলাই কথা এয়ে যে কমিউনিষ্ট বিদ্ৰোহৰ ফলত লিয়েবনেখ্‌ট্ আৰু লুক্সেমবুৰ্গৰ প্ৰাণ গ'ল, অথচ এওঁলোক দুজনেই আছিল বিদ্ৰোহৰ বিৰোধী।

চহিৱেল ডেমক্ৰেটিক প্ৰজাতন্ত্ৰৰ হাতত কমিউনিষ্টসকল ধ্বংস হৈ গ'ল। ইয়াৰ অলপ দিন পিছতে হাইমাৰ চহৰত বহি সেই প্ৰজাতন্ত্ৰৰ এখন শাসনতন্ত্ৰ ৰচনা কৰা হ'ল। তাৰ কাৰণেই তাৰ নাম হল— 'হাইমাৰ শাসনতন্ত্ৰ'। কিন্তু তিনি মাহৰ ভিতৰতে আকৌ এটি নতুন বিপদ আহি এই প্ৰজাতন্ত্ৰক ওলোটাই দিবৰ উপক্ৰম কৰিলে। এইবাৰ বিপদ আহিল আন কাষৰপৰা। প্ৰগতি বিৰোধীসকলে মিলি প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে এটি প্ৰতি বিপ্লৱ গঢ়ি তুলিলে, পুৰণি সেনাপতিসকল ইয়াৰ আগৰণুৱা হৈ পৰিল। এই বিদ্ৰোহৰ নাম 'কাপ-পুটচ' কাপ হৈছে ইয়াৰ নেতাৰ নাম, আৰু জাৰ্মাণ ভাষাত পুটচ্ শব্দৰ অৰ্থ হল 'বিদ্ৰোহ'। চহিৱেল ডেমক্ৰেটিক চৰকাৰে বাৰ্লিন এৰি পলাই গল, কিন্তু বাৰ্লিনৰ বনুৱাসকলে এই 'পুটচ'ক শেষ কৰি দিলে, হঠাৎ এটা ব্যাপক ধৰ্মঘট কৰি। চহৰৰ [illegible] কথাতে কাম-কাজৰ সম্পূৰ্ণ হৰতাল আৰম্ভ হ'ল, বিশাল সেই চহৰৰ জীৱন-যাত্ৰা একেবাৰেই নিস্তব্ধ হৈ গ'ল। এইবাৰ এই সংঘবদ্ধ শ্ৰমিকসকলৰ জোৰা খালত কাপ আৰু তেওঁৰ বন্ধুসকল আকৌ চহৰ এৰি পলাবলগীয়া হ'ল। চহিৱেল ডেমক্ৰেট নেতাসকল আকৌ উভতি আহি চৰকাৰী কাম-কাজ চলাব ল'লেহি। কমিউনিষ্ট-সকলৰ প্ৰতি এওঁলোকৰ নিষ্ঠুৰতাৰ শেষ নাছিল, কাপ্ পন্থী বিদ্ৰোহীসকলৰ প্ৰতি কিন্তু এই চৰকাৰে অপূৰ্ব ভদ্ৰতা দেখুৱালে। এওঁলোকৰ মাজত বহুতো আছিল পেন্সনভোগী সেনাপতি, বিদ্ৰোহ কৰা সত্ত্বেও কিন্তু তেওঁলোকৰ সেই পেন্সনো যথানিয়মে দিয়া হ'ল।

বেভেৰিয়াতো ঠিক এনেধৰণৰ এটা প্ৰতি বিপ্লৱী 'পুটচ' বা বিদ্ৰোহৰ আয়োজন কৰা হ'ল। সেই বিদ্ৰোহ ব্যৰ্থ হ'ল; কিন্তু এটি কাৰণত আমি সেই বিদ্ৰোহৰ কথা লক্ষ্য কৰা উচিত। এইটোৰ গুৰি ধৰিছিল এজন নিম্নপদস্থ অষ্ট্ৰিয়াৰ সেনাপতিয়ে, তেওঁৰ নাম হিটলাৰ। তেৱেঁই এতিয়া হৈছে জাৰ্মাণৰ ডিক্টেটৰ বা সৰ্বময় কৰ্ত্তা।

এইবোৰ ঘটনাৰ ফল হ'ল এই, জাৰ্মাণ প্ৰজাতন্ত্ৰ নামতহে বৰ্তি থাকিল, কিন্তু দিনে দিনে সি শক্তিহীন হৈ আহিবলৈ ধৰিলে। চহিৱেল ডেমক্ৰেট আৰু কমিউনিষ্ট—সমাজতন্ত্ৰী দলৰ এই দুয়ো ভাগ বেলেগ হৈ গৈছিল, আৰু তাৰ ফলত দুয়োপক্ষই দুৰ্বল হৈ পৰিল। ফলত প্ৰগতি বিৰোধীসকলে যিসকলে দেখ-দেখকৈ প্ৰজাতন্ত্ৰক দোষাৰোপ কৰিছিল, তেওঁলোক ক্ৰমে বেছি সংঘবদ্ধ আৰু উগ্ৰ হৈ উঠিব ধৰিলে। যি দুই-চাৰিজন সমাজতন্ত্ৰবাদী তেতিয়াও চৰকাৰৰ ৰাজত বৰ্তি আছিল, ডাঙৰ ডাঙৰ জমিদাৰ, জাৰ্মাণীত এওঁলোকৰ নাম হল 'জাংকাৰ'—আৰু ডাঙৰ ডাঙৰ শিল্পপতিসকল মিলি তেওঁলোকক ঠেলি বাহিৰ কৰি দিলে। ভাৰ্চাইলচৰ সন্ধিপত্ৰ দেখি জাৰ্মাণৰ জনসাধাৰণ অতিশয় মৰ্মাহত হ'ল, প্ৰগতি বিৰোধীসকলে এই কথাটিকে নিজৰ কামত লগালে। এই সন্ধি পত্ৰৰ চৰ্ত্ত আছিল জাৰ্মাণে অস্ত্ৰ-শস্ত্ৰ ত্যাগ কৰিব লাগিব, ইয়াৰ যি বিৰাট সৈন্যবাহিনী আছিল তাকো ভাঙি দিব লাগিব। মাত্ৰ একলাখ সৈন্যৰ এটি সৰু বাহিনী ৰাখিবৰ অনুমতি ইয়াক দিয়া হ'ল। ইয়াৰ ফল হ'ল এয়ে বাহিৰত জাৰ্মাণীয়ে অস্ত্ৰ ত্যাগ কৰিলে, আৰু প্ৰকৃততে প্ৰচুৰ অস্ত্ৰ-শস্ত্ৰ ভিতৰত লুকাই ৰাখি থলে। বিভিন্ন দলৰ স্বেচ্ছাসেৱক বাহিনীৰ নামত

বহুতো ডাঙৰ ডাঙৰ বে-চৰকাৰী সৈন্যবাহিনী গঢ়ি তোলা হ'ল। ৰক্ষণশীল জাতীয়তাবাদীসকলৰ স্বেচ্ছাসেৱক বাহিনীৰ নাম হল 'ষ্টীল হেলমেট' বাহিনী। কমিউনিষ্ট যনুৱাসকলৰ স্বেচ্ছাসেৱক বাহিনীৰ নাম হ'ল 'ৰেড্‌ফ্ৰণ্ট' বাহিনী, ইয়াৰ পিছত আকৌ হিটলাৰৰ অনুচৰসকলে গঢ়ি তুলিলে 'নাৎচি-বাহিনী'।

জাৰ্মাণীত যুদ্ধোত্তৰ যুগৰ প্ৰায় কেইবছৰ মানৰ সম্বন্ধে বহুত কথাকে কলোঁ। দেশৰ বতাহত বিপ্লৱৰ আভাস কিভাবে ভাহি ফুৰিছিল তাৰ আৰু বিপ্লৱৰ লগত ইয়াৰ কিদৰে সংগ্ৰাম চলিছিল, তাৰ প্ৰমাণ স্বৰূপে আৰু বহুত কথাকে কব পাৰি। জাৰ্মাণীৰ বহু ঠাইত, বেভেৰিয়াত আৰু মেকচানিতো বিদ্ৰোহে দেখা দিলে। সন্ধিপত্ৰৰ হেচাঁত অষ্ট্ৰীয়াই তাৰ আগৰ আয়তনৰ এটি অতি সৰু ভগ্নাংশ মাত্ৰত পৰিণত হৈছিল, তাতো অৱস্থা প্ৰায় এনেধৰণেৰে আছিল। সৰু দেশ অষ্ট্ৰীয়া, বিশাল ভিয়েনা চহৰ তাৰ ৰাজধানী—ভাষা আৰু সংস্কৃতিৰ ফালৰপৰা দেশখন সম্পূৰ্ণ জাৰ্মাণীৰ লগত মিলে। ১৯১৮ চনৰ ১২ নবেম্বৰ তাৰিখে অৰ্থাৎ যুদ্ধ বিৰতি যিদিনা হ'ল, তাৰ পিচৰ দিনা—অষ্ট্ৰীয়াত প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠিত হল। অষ্ট্ৰীয়াৰ ইচ্ছা আছিল, জাৰ্মাণৰ অন্তৰ্ভুক্ত হৈ যাব, কিন্তু মিত্ৰপক্ষই সেইটো কঠোৰতাৰে বাধা দিলে। অষ্ট্ৰীয়া আৰু জাৰ্মাণীৰ এক হোৱাৰ এই যে প্ৰস্তাৱ কৰা হৈছিল, তাকেই জাৰ্মাণৰ 'আনচলচ' * কথাটিৰে প্ৰকাশ কৰা হয়।

জাৰ্মাণৰ দৰে অষ্ট্ৰীয়াতো চছিয়েল ডেমক্ৰেটিকসকলেই প্ৰথমতে ক্ষমতা দখল কৰি বহিছিল; কিন্তু তেওঁলোকৰ মনত সাহস বা নিজৰ ওপৰত বিশ্বাস নাছিল। এতেকে তেওঁলোকে বুৰ্জোৱা দলবিলাকৰ লগত এটা আপোন কৰি চলাৰ নীতি অৱলম্বন কৰিলে। তাৰ ফলত এতিয়া চছিয়েল ডেমক্ৰেটসকল অতি দুৰ্বল হৈ পৰিছে, দেশৰ নানান ক্ষমতা গৈ পৰিছে আনৰ হাতত। জাৰ্মাণীৰ দৰে ইয়াতো বহুত বেচৰকাৰী সৈন্যবাহিনী গঢ়ি উঠিল, শেষলৈ প্ৰগতি বিৰোধীসকলৰ ডিক্টেটৰী বা একনায়কত্ব প্ৰতিষ্ঠিত হ'ল। ভিয়েনা চহৰ সমাজতন্ত্ৰবাদত বিশ্বাসী, গাৱঁৰ কৃষকসকল ৰক্ষণশীল—দুয়োৰে মাজত বহুদিন ধৰি বিৰোধ চলিছে। ভিয়েনাৰ মিউনিচিপেলিটি সমাজতন্ত্ৰীসকলৰ হাতত, শ্ৰমিক শ্ৰেণীৰ কাৰণে সুন্দৰ ঘৰ-দুৱাৰ আৰু অন্যান্য পৰিকল্পনা ৰচনা কৰাৰ কাৰণে এওঁলোকে যথ খ্যাতি অৰ্জন কৰিছে।

হাঙ্গেৰীত প্ৰথম বিপ্লৱ হ'ল ১৯১৮ চনৰ ৩ অক্টোবৰ তাৰিখে, অৰ্থাৎ যুদ্ধ শেষ হোৱাৰ পাঁচ সপ্তাহ আগতে। নবেম্বৰ মাহত এখন প্ৰজাতন্ত্ৰ স্থাপিত কৰা হল। চাৰিমাহ পাছত ১৯১৯ চনৰ মাৰ্চ মাহত, দ্বিতীয়বাৰ বিপ্লৱ হ'ল, এইটো চোভিয়েটৰ বিপ্লৱ, ইয়াৰ নেতা আছিল বেলা কুন নামৰ এজন কমিউনিষ্ট, এসময়ত তেওঁ লেনিনৰ লগত সংশ্লিষ্ট আছিল। এটি চোভিয়েট চৰকাৰ প্ৰতিষ্ঠিত হ'ল, কেইমাহমান ধৰি সেই চৰকাৰে দেশ শাসন কৰিলে। তাৰ পিছত দেশৰ মাজত থকা ৰক্ষণশীল আৰু প্ৰগতি বিৰোধীসকল একেলগ হৈ ৰুমানিয়াৰ এটি সৈন্য বাহিনীক আমন্ত্ৰণ কৰি পঠালে, তেওঁলোকক অলপ সহায় কৰি যাবলৈ ৰুমেনিয়ানসকলে বেলা কুন চৰকাৰক ধ্বংস কৰিলে, তাৰ পিছত ধীৰে সুস্থিৰে দেশত বহি লৈ লুটপাত

* এই আনচলুচ হৈছিল ১৯৩৮ চনৰ মাৰ্চ মাহত।

আৰম্ভ কৰি দিলে, শেষত মিত্ৰপক্ষই ভয় দেখুৱালে যে তেওঁলোকেই গৈ সকলো ঠিক কৰি দিব; ইয়াতে ভয় খাই তেওঁলোক হাঙ্গেৰী এৰি গুচি গ'ল। কমেনিষ্ট-সকল গুচি যোৱাৰ লগে লগেই হাঙ্গেৰীৰ ৰক্ষণশীলসকলে এটি বে-চৰকাৰী সৈন্য-বাহিনী বা স্বেচ্ছাসেৱক বাহিনী গঢ়ি তুলিলে। দেশৰ মাজত য'তে যিমান উদাৰপন্থী বা প্ৰগতিবিৰোধী লোক বা দল আছিল এওঁলোকৰ সকলোকে জেল শিকলি দিলে, যেন আৰু কোনেও বিপ্লৱ ঘটাবলৈ চেষ্টা নকৰে। এইদৰে ১৯১৯ চনৰ হাঙ্গেৰীত প্ৰসিদ্ধ 'শ্বেত-আতঙ্ক'ৰ আৰম্ভ হ'ল—বহুতৰ মতে ইয়াৰ কাহিনী "যুদ্ধোত্তৰ কালৰ ইতিহাসৰ এটি অতিশয় ৰক্তৰঞ্জিত পৃষ্ঠা", হাঙ্গেৰীত এতিয়াও অলপ অচৰপ সামন্ত প্ৰথা চলি আছে। যুদ্ধৰ সময়ত ডাঙৰ ডাঙৰ শিল্পপতি-সকল বহুতো লাভ খাই ওকণি উঠিছিল, এই সামন্ত জমিদাৰসকল তেওঁলোকৰ লগত গৈ যোগ দিলে। তাৰপাছত এওঁলোকে মিলি হত্যা আৰু নিৰ্যাতনৰ যজ্ঞ আৰম্ভ কৰিলে, কেৱল কমিউনিষ্ট নহয়—সাধাৰণভাৱে গোটেই শ্ৰমিকসকল আৰু চছিয়েল ডেমক্ৰেটসকল, উদাৰপন্থীসকল, শান্তিকামীসকল আনকি ইহুদীসকলো হ'ল সেই যজ্ঞৰ বলি। তেতিয়াৰপৰা আজিলৈকে হাঙ্গেৰীত ডিক্টেটৰী শাসন চলিছে। লোকদৰ্শক এখন পাৰ্লিয়ামেণ্টো ৰখা হৈছে, কিন্তু ভোট দিয়াৰ সময়ত ভোটৰ বাকচ খোলা থাকে, অৰ্থাৎ পাৰ্লিয়ামেণ্টৰ সভ্য নিৰ্বাচনৰ সময়ত কোনে কাক ভোট দিলে সেইটো প্ৰকাশ্যে ঘোষণা কৰা হয়। ডিক্টেটৰৰ মনঃপুত নোহোৱা কোনো লোক যাতে নিৰ্বাচিত হব নোৱাৰে, পুলিচ আৰু সৈন্যবাহিনীয়ে সেই বিষয়ে চকু ৰাখে। ৰাজনৈতিক প্ৰশ্নৰ আলোচনা হৈ কোনো প্ৰকাশ্য সভা কৰিবলৈ দিয়া নহয়।

যুদ্ধৰ পিছৰ কালছোৱাত মধ্য য়ুৰোপত বিশেষ ঘটনা ঘটিছে আৰু মধ্য য়ুৰোপীয় শক্তি বুলিবলৈ যি দেশবোৰক বুজাই, যুদ্ধত পৰাজয় আৰু ৰুচ বিপ্লৱৰ কি প্ৰতিক্ৰিয়া তেওঁলোকৰ ওপৰত হৈছে, তাৰ অলপ আলোচনা এই চিঠিত আমি কৰিলোঁ। মানুহৰ অৰ্থনৈতিক জীৱনত যুদ্ধৰ বাবে কি বিপৰ্যয়কৰ ফলে দেখা দিছে আৰু তাৰ ফলতেই পুঁজিপতিসকলৰ কি বিষম দুৰ্দশাই বৰ্তমানে দেখা দিছে, তাৰ আলোচনা আমি বেলেগে কৰিম। এই চিঠিত যি লেখিছোঁ তাৰ সাৰাংশ হৈছে এয়ে—যুদ্ধৰ পিছৰ সেই সময়ছোৱাত য়ুৰোপত সমাজ-বিপ্লৱ একেবাৰে আসন্ন বুলি মনত হৈছিল। চোভিয়েট ৰুচিয়াত ইয়াৰদ্বাৰা বহুতো সুবিধা হ'ল, কাৰণ ডাঙৰ ডাঙৰ সমাজবাদী জাতিসমূহৰ মাজত কোনেও ঠিক সম্পূৰ্ণ মন থিৰ কৰি ইয়াক আঘাত কৰিবলৈ সাহস নকৰিছিল, তেওঁলোকৰ ভয় আছিল—সেইটো কৰিব গ'লে তেওঁলোকৰ নিজৰ মজুৰসকলেই ক্ৰোধান্বিত হৈ উঠিব, সেই বিপ্লৱ কিন্তু নাহিল। য'ত ত'ত বিক্ষিপ্ত হিচাপে বিক্ষোভে দেখা দিলে। কিন্তু সেই সকলো চেষ্টা সম্পূৰ্ণৰূপে অকৃতকাৰ্য হ'ল। এই সমাজ বিপ্লৱক চূৰ্ণ কৰিবলৈ আৰু একপ্ৰকাৰ চলিবলৈ চছিয়েল ডেমক্ৰেটসকলে বহুখিনি অংশ গ্ৰহণ কৰিলে, অথচ তেওঁলোকৰ দলৰ ভেটিটোৱেই আছিল এই ধৰণৰ এটা সমাজ বিপ্লৱমূলক মতবাদ। ইয়াৰদ্বাৰাই বুজিব পাৰি চছিয়েল ডেমক্ৰেটসকলৰ হয়তোবা আশা বা বিশ্বাস আছিল, পুঁজিবাদ ক্ৰমান্বয়ত স্বাভাৱিক নিয়মেৰে মৃত্যুৰ মুখত পৰিব। এতেকে লোৰেৰে আক্ৰমণ চলাই তাক ধ্বংস কৰাৰ পৰিবৰ্তে এওঁলোকে বৰং ইয়াৰ সেই সময়ৰ বাবতে

ধীৰাই বাধিবলৈকে সহায় কৰিলে। অথবা হয়তো তেওঁলোকৰ দলৰ যি বিৰাট আৰু বলবান প্ৰতিষ্ঠান গঢ়ি উঠিছিল, তাৰ ভিতৰত তেওঁলোকে বেছ আৰামেৰে দিন কটাব পাৰিছিল, বৰ্তমান সমাজ ব্যৱস্থাৰ লগতো তেওঁলোকৰ স্বাৰ্থ বহুখিনি মেৰ খাই আছিল, এতেকে এটি সমাজ বিপ্লৱৰ প্ৰচেষ্টা দিবলৈ তেওঁলোকে দিধি-চাৰিলে। এটি মধ্যম পথ ধৰি চলিবলৈ এওঁলোকে চেষ্টা কৰিলে, তাৰ ফলত গোটেই ঘটনাটো একেবাৰে খিলা লোলোকা হৈ গ'ল। যিখিনি তেওঁলোকৰ আছিল সিয়ো শেষলৈ হেকস্যাৰ লগাত পৰিল। জাৰ্মাণীত বৰ্তমান যিবোৰ ঘটনা ঘটিছে তাৰপৰা এই কথাটোৰেই আৰু বেছি স্পষ্টভাৱে প্ৰমাণিত হৈছে।

যুদ্ধৰ পিছৰ এই কেইবছৰত আৰু এটি ডাঙৰ ঘটনা ঘটিছে, সেইটো হৈছে হিংসাত্মক কাৰ্যৰ প্ৰতি আকৰ্ষণ। ভাৰতবৰ্ষত যেতিয়া অহিংসাৰ মন্ত্ৰ প্ৰচাৰিত হৈছিল ঠিক সেই সময়ত পৃথিৱীৰ প্ৰায় সকলোতে চলিছে হিংসাৰ ৰাজত্ব, সেই হিংসাৰ ওপৰত অলপো আৱৰণ নাই, ইয়াৰ অনুষ্ঠানত কোনো লাজ নাই আনকি তাকে এটি বৰ ডাঙৰ কাম বুলি সকলোৱে গৌৰৱবোধ কৰিছে। এইটো যদ্দূৰ সম্ভৱ হৈছে যুদ্ধৰ কাৰণে, তাৰ পিছত আকৌ বিভিন্ন শ্ৰেণীবোৰৰ মাজত হৈছে বিভিন্ন স্বাৰ্থৰ সংঘাত। সেই সংঘাত যিমান স্পষ্ট, সিমান তীব্ৰ হৈ উঠিছে; হিংসাবৃত্তিও তাৰ লগে লগে সিমানেই বাঢ়ি আহিছে। উদাৰতা পৃথিৱীৰপৰা সম্পূৰ্ণ লুপ্ত হৈ গৈছে। ঊনৈশ শতাব্দীত যি গণতন্ত্ৰৰ আদৰ্শত মানুহ বিশ্বাসী আছিল, তাৰ ওপৰ-ৰতো আৰু অকণো কাৰো আস্থা নাই। পৃথিৱীৰ ৰঙ্গমঞ্চ এতিয়া অধিকাৰ কৰি বহিছে ডিক্টেটৰসকলে।

যুদ্ধত যিসকলৰ পৰাজয় হৈছিল, তেওঁলোকৰ কথা মই এই চিঠিত কৈছোঁ।। বিজয়ী দেশবোৰৰো এনে ধৰণৰ সংকটত পৰিবলগীয়া হৈছে। অৱশ্যে ইংলেণ্ড বা ফ্ৰান্সত মধ্য য়ুৰোপৰদৰে কোনো বিদ্ৰোহ বা বিপ্লৱ ঘটা নাই। ইটালীত এটা ডাঙৰ বিপৰ্যয় ঘটিছিল, তাৰ ফলো হৈছে অদ্ভুত—সেই কাহিনী বেলেগে চাবলগীয়া।

১৭২
পুৰণি ধাৰ শোধোৱাৰ নতুন উপায়

১৫ জুন, ১৯৩৩

মহাযুদ্ধৰ পিছত ইউৰোপ আৰু কিছু পৰিমাণে গোটেই পৃথিৱীখনেই এটা জ্বলন্ত অগ্নিপিণ্ডত পৰিণত হৈছিল, ভাৰ্ছেইলচৰ সন্ধি আৰু আৰু আন আন সকলো সন্ধিৰ ফলত অৱস্থা আৰু বেয়া হ'ল। ইউৰোপৰ যি নতুন মানচিত্ৰ ৰচিত হ'ল, তাত আগৰ দিনৰ কেইটামান জাতীয় সমস্যাৰ সমাধান হ'ল, পোল, চেক, আৰু বাল্টিক অঞ্চলৰ জাতীসমূহে স্বাধীনতা পালে। কিন্তু তাৰ লগে লগেই আকৌ নতুন কিছুমান জাতীয় সমস্যা ইচ্ছাকৃতভাৱে সৃষ্টিও কৰা হ'ল, অষ্ট্ৰিয়াৰ অন্তৰ্গত থকা টাইৰোলৰ কিছু অংশ গ'লগৈ ইটালীৰ হাতলৈ, ইউক্ৰেণৰ কিছু অংশ হ'ল পোলেণ্ডৰ অধীন। পূব ইউৰোপতো এনে ধৰণৰ আৰু কিছুমান অন্যায় ভাৱে দেশ বিভাগ কৰা হ'ল। ইয়াৰ ভিতৰত সকলোতকৈ অদ্ভুত আৰু বেয়া কথা হৈছিল পোলিচ কৰিডৰ (পোলেণ্ডত সমুদ্ৰৰ তীৰলৈ যোৱাৰ কাৰণে জাৰ্মানীৰ অন্তৰ্ভুক্ত প্ৰদেশৰ মাজেদি প্ৰস্তুত কৰা সংকীৰ্ণ পথ) আৰু ডানজিগ সম্বন্ধে কৰা ব্যৱস্থা। মধ্য আৰু পূব-ইউৰোপক 'বলকানলৈ ৰূপান্তৰিত' কৰা হ'ল—বহুতো সৰু সৰু নতুন দেশ তাত গঠন কৰা হ'ল, আৰু তাৰ পিছত তাকে লৈ পৰস্পৰৰ ভিতৰত ঘৃণা আৰু বিদ্বেষৰ বাট মুকলি কৰি দিয়া হ'ল।

১৯১৯ চনৰ এই সন্ধিবোৰতো থাকিলেই তাৰ উপৰিও ৰুমেনিয়াই চক্ৰান্তৰে বেছাৰাবিয়া দখল কৰি ললে, ইমানদিনে এইখন আছিল দক্ষিণ-পশ্চিম ৰুচিয়াৰ এটা অংশ। ইয়াকে লৈ তেতিয়াৰপৰাই সোভিয়েট ৰুছিয়া আৰু ৰুমেনিয়াৰ ভৰ্কাতৰ্কি আৰু হাই-কাজিয়া আৰম্ভ হৈছে। বেছাৰাবিয়াৰ নাম দিয়া হৈছে—'নীপাৰৰ পাৰৰ আলচেচ লোৰেণ'।

দেশ বিভাগৰ এইবোৰ পৰিবৰ্তনৰ উপৰিও, ডাঙৰ সমস্যা হ'ল যুদ্ধৰ ক্ষতি-পূৰণৰ সমস্যা, অৰ্থাৎ যুদ্ধৰ খৰচ আৰু ক্ষতিৰ কাৰণে 'ৰেহাৰৎ' বুলি যি টকাখিনি বিজয়ী মিত্ৰপক্ষক গোটাই দিয়াৰ দায়িত্ব বিজিত জাৰ্মানীৰ ওপৰত দিয়া হৈছে, তাৰ সমস্যা। ভাৰ্ছাইলচ সন্ধিত এই টকাৰ কোনো পৰিমাণ ঠিক কৰি দিয়া হোৱা নাই কিন্তু পিছত কাগজেপত্ৰত এই ক্ষতিপূৰণৰ পৰিমাণ, নিৰ্দ্ধাৰিত কৰা হ'ল, ৬,৬০০,০০০,০০০ পাউণ্ড বুলি, কেতবোৰ বছৰেকীয়া কিস্তিত এই টকা জাৰ্মানীয়ে পৰিশোধ কৰিব লাগিব। এই প্ৰচুৰ পৰিমাণৰ টকা শোধাই দিয়া কিকোনো

দেশৰ পক্ষেহ অসম্ভৱ, জাৰ্মাণ যুদ্ধত পৰাজিত, আৰু সৰ্বস্বান্ত হৈ পৰিছে, ইয়াৰতো কথাই নাই। জাৰ্মাণে এই সম্বন্ধে প্ৰতিবাদ জনালে, অৱশ্যে সেই প্ৰতিবাদত কোনো ফল নধৰিলে। শেষত উপায়ান্তৰ নেদেখি ই যুক্তৰাষ্ট্ৰৰপৰা টকা ধাৰ কৰি দুটা নে তিনিটা কিস্তিত টকা শোধালে। এইটো ই কৰিলে কেৱল কিছুসময় পাবৰ কাৰণে যেন সেই অৱসৰতে কথাটোৰ আৰু অলপ আলাপ-আলোচনা কৰি চাব পাৰে। বহু পুৰুষলৈকে একাদিক্ৰমে এই প্ৰচুৰ পৰিমাণৰ টকা দি যোৱা ইয়াৰ পাছত সম্ভৱ নহয় এইটো ই ভালদৰেই জানিছিল, আন দেশবোৰৰো বহুতেই বুজিছিল।

অলপ দিনৰ ভিতৰতেই জাৰ্মাণৰ ৰাজহ ব্যৱস্থা একেবাৰে ভাঙি চাৰখাৰ হৈ পৰিল, যুদ্ধৰ ক্ষতিপূৰণ আদি বাহিৰৰ ধাৰ পৰিশোধ কৰা বা দেশৰ ভিতৰত খৰছ চলোৱা দুয়োটাই ইয়াৰ পাছত অসম্ভৱ হৈ পৰিল। আন আন দেশক যি টকা ইয়াৰ দিবলগীয়া—সেইটো দিব লাগিব সোণ দি। নিৰ্দিষ্ট তাৰিখে সেই টকা ই দিব নোৱাৰিলে। এতেকে ফিৰিব গণ্ডগোল হ'ল। জাৰ্মাণৰ এলেকাৰ ভিতৰত যি টকা দিবলগীয়া আছে, সেইখিনি অৱশ্যে চৰকাৰে কাৰেন্সি নোটেৰেই দি শোধাব পাৰে, এতেকে তেতিয়া তেওঁলোকে ক্ৰমেই আৰু বেছিকৈ নোট ছপাবলৈ আৰম্ভ কৰিলে। কিন্তু কাগজৰ নোট ছপা কৰি টকা তৈয়াৰ নহয় তৈয়াৰ হয় ঋণ-পত্ৰ। জনসাধাৰণে সেই নোট ব্যৱহাৰ কৰে, কাৰণ তেওঁলোকে জানে যে ইচ্ছা কৰিলেই সেই নোট ভঙাই সোণ বা ৰূপ লব পাৰিব। এই নোটৰ কাৰণে সকলো সময়তে কিছু সোণ বেঙ্কত মজুত কৰি ৰাখিবলগীয়া হয়, সেয়ে নহলে নোটৰ মূল্য ঠিক নাথাকিব। এই কাগজৰ টকা বৰ কামৰ বস্তু তাত সন্দেহ নাই প্ৰতিদিনৰ ব্যৱহাৰৰ কাৰণে যিমানখিনি সোণ বা ৰূপৰ টকা দেশত দৰকাৰ তাৰ বহুখিনি প্ৰয়োজন ইয়াৰ দ্বাৰা কমি যায়। ঋণৰ টকাৰো পৰিমাণ বাঢ়ে। কিন্তু সেইবুলি চৰকাৰে যদি কেৱল নোটকে ছপাই থাকে, পৰিমাণৰ সীমা নাৰাখি, বেঙ্কত কিমান সোণ জমা আছে তাৰ ফালে লক্ষ্য নাৰাখি, সেই নোট অবাধে বজাৰত চলাই থাকে, তেনেহলে এই নোটৰ মূল্য কমি যাবলৈ বাধ্য। তেতিয়া যিমানে বেছি নোট ছপা হ'ব, সিমানেই তাৰ দাম কমিব, তাৰ যোগেদি ধাৰো কম শোধ হব। এই অৱস্থাৰ নাম হ'ল মুদ্ৰাস্ফীতি। জাৰ্মাণত ১৯২২ আৰু ১৯২৩ চনত ঠিক এই ঘটনাই ঘটিছিল। ব্যয় নিৰ্বাহৰ কাৰণে জাৰ্মাণ চৰকাৰৰ আৰু বেছি টকাৰ প্ৰয়োজন। এতেকে তেওঁলোকে ক্ৰমে বেছি বেছি কৰি নোট ছপাব ধৰিলে। ইয়াৰ ফলত আন সকলো বস্তু-বাহানিৰ দাম হুৰহুৰাই বাঢ়ি গ'ল; জাৰ্মাণ মাৰ্কৰ দাম পাউণ্ড ডলাৰ বা মাৰ্কৰ তুলনাত কমি যাব ধৰিলে। এতেকে তেতিয়া জাৰ্মাণ চৰকাৰেও আৰু বেছি মাৰ্ক, ছপাবলগীয়া হ'ল। তাৰ ফলত আকৌ মাৰ্কৰ দাম আৰু বেছি নামি গ'ল। এই কঢ়িয়া ইমান বেছিকৈ ঘনীভূত হ'ল যে জোখটো এটা ডলাৰ বা এটা পাউণ্ডৰ বজাৰ দৰ হ'লগৈ কোটি কোটি মাৰ্কৰ সমান। কাগজৰ মাৰ্কত প্ৰকৃততে প্ৰায় কোনো মূল্য নেথাকিল। এখন চিঠি পঠিয়াবলৈ এনে ডাক টিকটৰ দাম পৰিলগৈ দহ লাখ কাগজৰ মাৰ্ক। সকলো বস্তু-বাহানীৰ দাম এই ধৰণে হৈ পৰিল, প্ৰতিমুহূৰ্ততে দৰৰ পৰিৱৰ্তন হব ধৰিলে।

জাৰ্মাণীৰ এই মুদ্ৰাস্ফীতি আৰু মাৰ্কৰ এই বিস্ময়কৰ মূল্য হ্ৰাস অৱশ্যে নিজৰ-

পৰা ঘটা নাই। আৰ্থিক দুৰ্গতিৰপৰা মুক্তি পাবৰ কাৰণে জাৰ্মাণ চৰকাৰে ইচ্ছা কৰিয়েই এইটো কৰিছিল, সেই উদ্দেশ্য বহুদূৰ সিদ্ধিও হৈছিল। চৰকাৰ মিউচিপেলিটি আৰু আন আন ধৰুৱা পক্ষৰ জাৰ্মাণৰ ভিতৰত-আৰু যিমান দেনা আছিল, সেই মূল্যহীন, কাগজৰ মাৰ্ক দি অতি সহজে সকলোখিনি শোধাই দিলে। আন দেশৰ লোকক বা আন দেশক যিবোৰ দেনা তেওঁলোকৰ আছিল, সেইবোৰ অৱশ্যে এনেদৰে শোধ কৰাৰ সম্ভাৱনা নাছিল, দেশৰ বাহিৰৰ কোনেও এই কাগজৰ টকা নিবলৈ ৰাজী নহ'ব। জাৰ্মাণীৰ ভিতৰৰ জনসাধাৰণক এই টকা দিয়া সহজ, নললে আইনৰ ভয় আছে। এইদৰে চৰকাৰ আৰু দেশৰ প্ৰত্যেক-জন ধৰুৱা লোকে বহুখিনি ধাৰৰ বোজা কান্ধৰপৰা আঁতৰালে। কিন্তু এইটো কৰিবলৈ গৈ জাৰ্মাণে বহুতো কষ্ট সহ্য কৰিবলগীয়াত পৰিল। এই মুদ্ৰাস্ফীতিৰ ফলত সকলো লোকেই কষ্ট পাবলগীয়া হ'ল, কিন্তু সকলোতকৈ বেছি দুৰ্দশা হ'ল মধ্যবিত্ত শ্ৰেণীবোৰৰ; কাৰণ এওঁলোকৰ সকলোৱেই বান্ধা ধৰা মাহিলি দৰমহাৰ বা আনধৰণৰ বান্ধা ধৰা আয়ৰ ওপৰত নিৰ্ভৰ কৰি চলিবলগীয়া হয়। মাৰ্কৰ দাম কমাৰ লগে লগে অৱশ্যে এওঁলোকৰ দৰমহাও কিছু বাঢ়িছিল, কিন্তু ইমান বেছি বঢ়া নাই যে মাৰ্কৰ দাম হ্ৰহ্ৰবাই কমি যোৱাৰ তাল চম্ভালিব পাৰিব। এই মুদ্ৰাস্ফীতিৰ আঘাতত নিম্ন মধ্যবিত্ত শ্ৰেণীবোৰ প্ৰায় নিচিহ্ন হৈ গ'ল দেশৰপৰা, পিছৰ কালছোৱাত জাৰ্মাণীত যিবোৰ আচৰিত ঘটনা ঘটিছিল তাৰ কাৰণ বুজিব লাগিলে, এই কথাটো আমাৰ মনত ৰখা দৰকাৰ। এই ক্ষুব্ধ উচ্ছন্ন হোৱা, মধ্যবিত্ত শ্ৰেণীবোৰ এইবাৰ এটি শক্তিশালী বাহিনীত পৰিণত হ'ল, এওঁলোকৰ মন সকলোৰে প্ৰতি বিৰূপ—এতেকে যিকোনো মহলতে তেওঁলোকে বিপ্লৱ ঘটাব পাৰে। দেশত ডাঙৰ ডাঙৰ দলবোৰক আশ্ৰয় কৰি, যিবোৰ ডাঙৰ ডাঙৰ বে-সামৰিক সৈন্যবাহিনী তেতিয়া গঢ়ি উঠিছিল, এইবোৰে ক্ৰমে তাৰ একো-একো এলেকাত গৈ সোমাল, এওঁলোকৰ বেছি ভাগেই লগ হ'ল গৈ হিটলাৰৰ নতুন দলটিত—যাৰ নাম নেচনেল চছিয়েলিষ্ট. বা নাৎচি দল।

পুৰণি মাৰ্ক একেবাৰে সকলো কামৰেই অযোগ্য হৈ গৈছে দেখি, তেতিয়া সেইটোক বাতিল কৰি দিয়া হ'ল। 'ৰেণ্টন মাৰ্ক' বুলি এটি নতুন মুদ্ৰাৰ প্ৰৱৰ্তন কৰা হ'ল। এইটোৰ আৰু বেছি মুদ্ৰাস্ফীতি কৰা নহ'ল,—ইয়াৰ দাম সমপৰ্যায়ৰ সোণৰ সমানেই থাকিল। এইদৰে ইয়াত নিম্নস্তৰ মধ্যবিত্ত শ্ৰেণীৰ একেবাৰে উচ্ছন্ন কৰি দিয়াৰ পিছত জাৰ্মাণে আকৌ এটা নিৰ্ভৰযোগ্য মুদ্ৰাৰ ব্যৱস্থা কৰি ললে।

জাৰ্মাণী যি অৰ্থ সঙ্কটত পৰিছিল, তাৰ ফলত পৃথিৱীজুৰি বহুতো ঘটনাই হৈ গ'ল। জাৰ্মাণে মিত্ৰপক্ষৰ ক্ষতিপূৰণৰ টকা শোধ কৰিব নোৱাৰিলে। মিত্ৰপক্ষৰ দেশবোৰে এই ক্ষতিপূৰণৰ টকাটো নিজৰ ভিতৰত ভাগবণ্টোৱাৰা কৰি লৈছিল, সকলোতকৈ ডাঙৰ ভাগটো পৰিছিল ফ্ৰান্সৰ কপালত। ৰুচিয়াই ইয়াৰ অংশ গ্ৰহণ নকৰিছিল, প্ৰকৃততে ইয়াত যদি তাৰ কিবা দাবী থাকে সেই দাবীও ই নিজৰপৰাই এৰি দিছিল। জাৰ্মাণে কিস্তি দিয়াত ফাঁকাত কৰা দেখি ফ্ৰান্স আৰু বেলজিয়ামে সৈন্য পঠাই, জাৰ্মাণৰ ৰুঢ় অঞ্চল দখল কৰি ৰহিল। 'ভাৰ্চাইলচ'

সন্ধিৰ চৰ্ত্ত অনুসৰি মিত্ৰপক্ষই আগৰপৰাই ৰাইনলেণ্ড দখল কৰি লৈছিল। এইবাৰ ১৯২৩ চনৰ জানুৱাৰী মাহত আৰু এখন নতুন অঞ্চল ফৰাচী আৰু বেলজিয়ানসকলে দখল কৰিলে। (ইংলেণ্ডে এই অভিযানত এওঁলোকৰ লগ হবলৈ অস্বীকাৰ কৰিছিল)। এই ৰুঢ় অঞ্চল ৰাইণলেণ্ডৰ একেবাৰে সংলগ্ন, ইয়াত বৰ ভাল ভাল কয়লাৰ খনি আৰু কাৰখানা আছে। ফৰাচীসকলৰ ইচ্ছা আছিল, ইয়াৰ এই কয়লা আৰু আন আন উৎপন্ন বস্তু তেওঁলোকৰ প্ৰাপ্য স্বৰূপে হাত কৰি লব। কিন্তু এনেতে এটা অসুবিধাই দেখা দিলে। জাৰ্ম্মাণ চৰকাৰে স্থিৰ কৰিলে, ফৰাচীসকলে ৰুঢ় দখল কৰিলে, তেওঁলোকে নিস্ক্ৰীয় প্ৰতিৰোধ আৰম্ভ কৰি তেওঁলোকক বাধা দিব। ৰুঢ়ৰ যিমান খনিৰ মালিক আৰু শ্ৰমিক আছিল সকলোকে নিৰ্দ্দেশ দিলে কাম বন্ধ কৰি দিয়া—ফৰাচীসকলক কোনোৰকমৰ সাহায্য নকৰিবা। কাম বন্ধ কৰোতে এই খনিৰ মালিক আৰু শিল্প-পতিসকলৰ যি লোকচান হ'ল, তাৰ ক্ষতিপূৰণৰ বাবদ চৰকাৰে তেওঁলোকক লক্ষ লক্ষ মাৰ্ক দিব ধৰিলে, যেন ধৰ্ম্মঘট অবাধে চলাব পাৰে। ন কি দহ মাহ কাল জুৰি এই যুঁজ চলিল, ফৰাচী আৰু জাৰ্ম্মাণ দুয়োপক্ষৰে অৰ্থ ব্যয় হ'ল ইয়াৰ কাৰণে। ইয়াৰ পিছত জাৰ্ম্মাণ চৰকাৰে নিস্ক্ৰীয় প্ৰতিৰোধৰ নীতি পৰিত্যাগ কৰিলে, ফৰাচীসকলৰ লগত মিলি ৰুঢ় অঞ্চলৰ সকলো খনি আৰু কাৰখানা চলাব ধৰিলে। ১৯২৫ চনত ফৰাচীসকলে আৰু বেলজিয়ানসকলে ৰুঢ় এৰি গুচি গ'ল।

ৰুঢ়ত জাৰ্ম্মাণসকলে যি নিষ্ক্ৰিয় প্ৰতিৰোধ চলাইছিল, শেষলৈ সেইটো সফল নহল কিন্তু তাৰপৰাই এই কথাটো স্পষ্ট প্ৰমাণ হ'ল যে যুদ্ধৰ ক্ষতিপূৰণৰ সমস্যাটো আকৌ নতুন কৰি আলোচনা কৰি চোৱা দৰকাৰ, ক্ষতিপূৰণৰ টকাৰ পৰিমাণ-খিনি এনেভাৱে স্থিৰ কৰা দৰকাৰ যাতে সেইটো ন্যায়সঙ্গত হয়। এতেকে তেতিয়া অলপ দিনৰ ভিতৰতে ইখনৰ পিছত সিখনকৈ বহুকেইখন কনফাৰেন্স আৰু কমিটি বহুৱা হ'ল। এটাৰ পিছত এটাকৈ বহুতো নতুন পৰিকল্পনা থিৰ কৰা হ'ল। ১৯২৪ চনত হ'ল ড'য়েজ প্লেন, পাচঁ বছৰৰ পিছত, ১৯২৯ চনত হ'ল ইয়ং প্লেন, আৰু তিনিবছৰৰ পিছত ১৯২৩ চনত সংশ্লিষ্ট পক্ষসমূহে সকলোৱেই দৰাচলতে স্বীকাৰ কৰিলে, ক্ষতিপূৰণৰ বাবদ আৰু টকা দিয়াৰ কোনো কথাই উঠিব নোৱাৰে, ক্ষতিপূৰণৰ ব্যৱস্থাটোকেই তেতিয়াৰপৰাই তুলি দিয়া হ'ল।

১৯২৪ চনৰ পিছৰপৰা এই কেইবছৰ জাৰ্ম্মাণীয়ে নিয়মিতভাৱে ক্ষতিপূৰণৰ টকা শোধাই আহিছে। জাৰ্ম্মাণীৰ হাতত টকা নাই, বজাৰত ই সেৰ্টানিয়া, তেন্তে সেই টকা দিলে কেনেকৈ? দিলে অতি সহজ উপায়েৰে—আমেৰিকাৰ যুক্ত-ৰাষ্ট্ৰৰপৰা ধাৰ কৰি। মিত্ৰপক্ষই (ইংলেণ্ড, ফ্ৰান্স, ইটালী, ইত্যাদি) আমেৰিকাৰ পৰা টকা ধাৰে লৈছিল, সেই টকা তেওঁলোকে যুদ্ধৰ সময়ত ধাৰ লৈছিল। জাৰ্ম্মাণীয়ে মিত্ৰপক্ষৰ ওচৰত টকা দিবলগীয়া আছিল ক্ষতি পূৰণৰ বাবদ। এতেকে আমেৰিকাই টকা ধাৰ দিলে জাৰ্ম্মাণীক, জাৰ্ম্মাণীয়ে সেই টকা মিত্ৰপক্ষক দিলে, এতেকে মিত্ৰপক্ষই আকৌ আমেৰিকাক টকা দিব পাৰিলে। বৰ সুন্দৰ ব্যৱস্থা। দেখা গ'ল, এই ব্যৱস্থাত সকলোৱেই সমানে আনন্দিত হ'ল। প্ৰকৃতপক্ষে পাব-লগীয়া টকা আদায় কৰা ইয়াতকৈ অন্য আৰু উপায়ো নাছিল। সুতৰাং এই ধাৰ লোৱা আৰু ধাৰ দিয়া সকলো ব্যৱস্থাই নিৰ্ভৰ কৰিছিল এটি মাত্ৰ কথাৰ

ওপৰত, সেইটো হৈছে আমেৰিকাই ক্ৰমান্বয়ে জাৰ্মাণীক টকা ধাৰে দি থকা। আমেৰিকাই টকা দিয়া বন্ধ কৰিলেই এই সকলো ব্যৱস্থা অহি-খহি যাব।

এইবোৰ ধাৰ দিয়া আৰু ধাৰ লোৱা মানে কিন্তু নগদ টকাৰ লেন-দেন নহয়—ইয়াৰ সকলোবোৰেই আছিল কেৱল কাগজ-কলমৰ কথা। আমেৰিকাই এটা টকাৰ অঙ্ক জাৰ্ম্মাণীৰ নামৰ হিচাপত লেখি ৰাখিলে, জাৰ্ম্মাণীয়ে সেইটো পঠাই দিলে মিত্ৰ পক্ষৰ নামত, মিত্ৰপক্ষই আকৌ সেইখন পঠাই দিলে আমেৰিকাৰ ওচৰলৈ। টকাৰ চলাচল মুঠেই নহয়—হৈছিল কেৱল কাগজ-পত্ৰ আৰু কিছুমান হিচাবৰ লেখা লেখি এইবোৰ সৰ্ব্বস্বান্ত দৰিদ্ৰ দেশ। পুৰণি দেশৰ কাৰণে সুদৰ টকাও শোধাৰলৈ সামৰ্থ্য যাৰ নাছিল, আমেৰিকাই ক্ৰমান্বয়ে এওঁলোকক টকা কিয় ধাৰলৈ দিছিল? দিছিল, কাৰণ আমেৰিকাই এওঁলোকক কোনো ৰকমে জীয়াই ৰাখিব বিচাৰে—যাতে এওঁলোক একেবাৰে দেউলীয়া হৈ নাযায়। আমেৰিকাৰ ভয় আছিল জানোচা য়ুৰোপ শেষত একেবাৰে ধ্বংস হৈ যায়। সেইটো হলে আন আন বিপৰ্য্যয়েতো দেখা দিবই, আমেৰিকাৰ ওচৰত এওঁলোকৰ যি ধাৰ দেনা আছিল, সেই টকা পোৱাৰ আশাও ইয়াৰ চিৰদিনৰ কাৰণে শেষ হৈ যাব। সেয়ে নিজেও মহাজনৰ দৰে আমেৰিকাই তেওঁৰ ধৰুৱাসকলক জীৱিত আৰু সবল কৰি ৰখাৰ চেষ্টা কৰিছিল। কিন্তু এইভাৱে ক্ৰমান্বয়ে টকা ধাৰ দি দি কেইবছৰমান পিচত আমেৰিকাৰ নিজৰেই বিৰক্তি লাগিল, আৰু ধাৰ দিয়া বন্ধ কৰি দিলে। ক্ষতি-পূৰণ আৰু ঋণ ইত্যাদি লৈ যি বিৰাট ব্যৱসায়টো থিয় কৰোৱা হৈছিল, সেইটো তৎক্ষণাৎ একেবাৰে হুৰমুৰ কৰি ভাঙি প'ল—কোনেও আৰু কাৰো ঋণ পৰিশোধ কৰিব নোৱাৰিলে, য়ুৰোপ আৰু আমেৰিকাৰ প্ৰত্যেকখন দেশ সেই বিপৰ্য্যয়ৰ হেচাত এটা অপদস্থ অৱস্থাত পৰিল।

এতেকে দেখিছা, যুদ্ধৰ ক্ষতিপূৰণ লৈ এটা ডাঙৰ সমস্যাৰ সৃষ্টি হৈছিল, যুদ্ধৰ পিচত বাৰ বছৰৰ বেছিকাল ধৰি সেই সমস্যাই য়ুৰোপৰ আকাশ আৱৰি আছিল। তাৰ লগে লগে আকৌ আনফালে আছিল যুদ্ধৰ ঋণৰ সমস্যা অৰ্থাৎ জাৰ্মাণীৰ বাহিৰে আন আন দেশসমূহৰ যি ধাৰ আছিল তাৰ সমস্যা। আগৰ এখন চিঠিত বিশ্ব-যুদ্ধৰ প্ৰথম ভাগতে ইংলেণ্ড আৰু ফ্ৰান্সে যুদ্ধৰ সংস্থান কৰিছিল তেওঁলোকৰ সৰু সৰু মিত্ৰ জাতিসমূহক টকা ধাৰ দি। তাৰ পিছত ফ্ৰান্সৰ টকা শেষ হৈ প'ল, ই আৰু বেছি ধাৰ দিব নোৱাৰিলে। ইংলেণ্ডে কিন্তু তেতিয়াও ধাৰ দি থাকিল। তাৰ পিছত আকৌ ইংলেণ্ডৰো সমল শেষ হৈ প'ল, তেতিয়া আৰু ইও ধাৰ দিব নোৱাৰা হ'ল। তেতিয়া ধাৰ দিব পৰা টকা আছিল একমাত্ৰ যুক্তৰাষ্ট্ৰৰ, ইংলেণ্ড, ফ্ৰান্স আৰু মিত্ৰপক্ষৰ আন আন দেশক ই মুকলি হাতেৰে টকা ধাৰ দিবলৈ ধৰিলে, সি অৱশ্যে নিজৰেই লাভ কৰি ললে। এতেকে যুদ্ধ যেতিয়া শেষ হল তেতিয়া দেখা গ'ল, কিছুমান দেশ ফ্ৰান্সৰ ওচৰত ধৰুৱা, বহুতো দেশ ইংলেণ্ডৰ ধৰুৱাৰ তালিকাভুক্ত, আৰু মিত্ৰপক্ষৰ প্ৰত্যেক দেশেই আমেৰিকাৰ ওচৰত বহুত টকাৰ ধৰুৱা। আমেৰিকাই তেতিয়া একমাত্ৰ দেশ, যাৰ কোনো দেশৰ ওচৰত দিবলগীয়া নাই। ই তেতিয়া এটা বিৰাট ধনী জাতি। যি মৰ্য্যাদা এদিন ইংলেণ্ডৰ আছিল, সেইটো এতিয়া তেওঁলোকে দখল কৰিছে। গোটেই পৃথিৱীৰ মহাজন হৈ পৰিছে। কেইটামান অঙ্কৰ হিচাব দিওঁ—তোমাৰ

হয়তো'তুমি কথাটো ভালদৰে বুজিব পাৰিবা। যুদ্ধৰ আগতে আমেৰিকা নিজেই আছিল ধৰুৱা দেশ। আন আন দেশৰ ওচৰত ইয়াৰ তেতিয়া ৩,০০,০০,০০,০০০ ডলাৰ দেনা। যুদ্ধ যেতিয়া শেষ হ'ল, তেতিয়া ইয়াৰ এই ধাৰটো পৰিশোধ হৈছেই তাৰ সলনি আমেৰিকাৰ অসংখ্য টকা আন আন দেশক ধাৰি দি ৰহি আছে। ১৯২৬ চনত আন আন দেশৰ ওচৰত আমেৰিকাই মুঠ পাবলগীয়া আছিল ২৫,০০,০০,-০০,০০০ ডলাৰ।

ইংলেণ্ড, ফ্ৰান্স, ইটালী আদি ধৰুৱা দেশসমূহৰ পক্ষে এই যুদ্ধ-ঋণ এটি দুৰ্বহ বোজা হৈ পৰিছিল, কাৰণ ইয়াৰ গোটেইখিনিয়েই চৰকাৰী ঋণ, সেই ঋণ শোধ হোৱাৰ দায়িত্ব এইবোৰ দেশৰ শাসনত থকা কৰ্তৃপক্ষৰ। আমেৰিকাৰপৰা এওঁ-লোকে ঋণ পৰিশোধৰ কিছুমান বিশেষ ধৰণৰ সুবিধাজনক চৰ্ত্ত আদায় কৰিবলৈ চেষ্টা কৰিলে, কিছুপৰিমাণে অনুগ্ৰহ পালেও। তথাপি সেই ঋণৰ বোজা কান্ধৰ-পৰা নানামে। জাৰ্মাণীয়ে যিমান দিনলৈকে ক্ষতিপূৰণৰ টকা দি থাকিল, তেতিয়া-লৈকে এই ধৰুৱা দেশবোৰেও সেই টকাটোকেই (আচলতে সেইটো আমেৰিকাই দিয়া ঋণ-মুদ্ৰা) আমেৰিকালৈ পঠাই দিব পাৰিলে। কিন্তু জাৰ্মাণীৰপৰা ক্ষতি-পূৰণৰ টকা আদায় হোৱাত যেতিয়া অনিয়মিত হবলৈ ধৰিলে বা বন্ধ হৈ গ'ল, তেতিয়া এওঁলোকৰ পক্ষেও ঋণ পৰিশোধ কৰা অতি কঠিন হৈ পৰিল। য়ু-ৰোপৰ এই ধৰুৱা দেশবোৰে তেতিয়া কথা উলিয়ালে—জাৰ্মাণীয়ে দিয়া ক্ষতি-পূৰণ আৰু এওঁলোকৰ দিবলগীয়া যুদ্ধ-ঋণ দুটা বস্তু, আচলতে পৰস্পৰৰ সংশ্লিষ্ট এটা যদি বন্ধ হৈ যায় তেন্তে এইটো দিয়াও এতেকতে বন্ধ হৈ যাব। আমে-ৰিকা কিন্তু দুয়োটাকে একেলগ কৰাৰ পক্ষপাতী নাছিল। ক'লে—আমি টকা ধাৰ দিছোঁ। সেই টকা আমি শোধ কৰাটো বিচাৰো ইমানেই। জাৰ্মাণীৰ দিবলগীয়া ক্ষতিপূৰণটো একেবাৰেই বেলেগ বস্তু। সেই ক্ষতিপূৰণ তোমালোকে পোৱা নে নাপোৱা তাৰ লগত আমাৰ টকাৰ সম্পৰ্ক কি? আমেৰিকাৰ এই মনোভাৱত য়ুৰোপৰ দেশবোৰ একেবাৰে জ্বলি উঠিল, তাৰ নামত বৰ টান টান কু-বাক্য কবলৈ ধৰিলে—আমেৰিকা এজন 'চাইলক' তাৰ এক পাউণ্ড মাংস আদায় নকৰাকৈ সি এৰি নিদিয়ে এয়েতো?" বহুতে, বিশেষকৈ ফ্ৰান্সে প্ৰচাৰ কৰিলে "কিয়, আমেৰিকাৰপৰা যি টকা আমি ধাৰ কৰিছিঁলো, সেইবোৰতো যুদ্ধৰ কাৰ-ণেই খৰছ কৰা হৈছে, যুদ্ধখন আমাৰ সকলোৰে ঘটনা, আমেৰিকাৰো তাত ভাগ আছে এতিয়া সেইটোক এটা সাধাৰণ ধাৰ বুলি বিবেচনা কৰা আমেৰিকাৰ অকণো উচিত হোৱা নাই।" ইফালে আকৌ যুদ্ধৰ পিছত য়ুৰোপত যি ভীষণ অবিশ্বা-অবি আৰু চক্ৰান্ত, ষড়যন্ত্ৰৰ খুঁচুৱা বলিছিল, তাৰ ৰূপ দেখি দেখি আমেৰিকাও বৰ বিৰক্ত হৈ পৰিল। ই দেখিলে, ফ্ৰান্স, ইংলেণ্ড, ইটালীয়ে তেতিয়াও তেওঁ-লোকৰ সৈন্যবাহিনী আৰু নৌবাহিনীৰ পাছত অজস্ৰ টকা চালিছে, কিছুমান সৰু সৰু দেশকো অস্ত্ৰ-সজ্জা কৰিবলৈ টকা ধাৰে দিছে। অস্ত্ৰ-সজ্জা কৰাৰ কাৰণেই যদি য়ুৰোপৰ এই দেশবোৰত বৈ যায়, তেন্তে আমেৰিকাই বা এওঁলোকৰ ওচৰত তেওঁলোকৰ যি প্ৰাপ্য সেইখিনি এৰি দিব কিহৰ খাতিৰত? আৰু এৰি যদি দিয়েও, তেন্তে সেই টকাখিনিও নিশ্চয় যাব এওঁলোকৰ অস্ত্ৰ-সজ্জাৰ তহবিলত।

এয়ে হ'ল আমেৰিকাৰ যুক্তি—এতেকে ইও পণ কৰিলে তেওঁলোকৰ এই পাৰ-লগীয়া টকা আদায় কৰিবই।

ক্ষতিপূৰণৰ টকাৰ দৰে যুদ্ধ-ঋণৰ এই টকাও পৰিশোধ কৰি দিয়া এনেয়ে বৰ টান আছিল। আন্তৰ্জাতিক ঋণ পৰিশোধ হব পাৰে সোণেৰে বা মালবস্তু আৰু কামেৰে (যেনে-যানবাহন, জাহাজ চলাচল, এনে ধৰণৰ কামেৰে)। এই বিৰাট পৰিমাণৰ টকা কেৱল সোণেৰে পৰিশোধ কৰাটো একেবাৰে অসম্ভৱ। ইমান সোণ পোৱা যাব ক'ত? তাৰ উপৰিও আকৌ ক্ষতিপূৰণ আৰু যুদ্ধ-ঋণ দুয়োটা কথাতেই মাল-বস্তু বা কামেৰে দেনা পৰিশোধ কৰা প্ৰায় অসম্ভৱ হৈ পৰিল। কি আমেৰিকা, কি য়ুৰোপৰ দেশসমূহৰ সকলোৱেই তেতিয়া বৰ বেছি বেছি বাণিজ্য শুল্কৰ দেৱাল বান্ধি বহি আছে-সেই দেৱাল ভাঙি বিদেশী মাল-বস্তু সৰকিবলৈ বাট নাই। ইয়াৰ কাৰণে এটি অদ্ভুত বেয়া ব্যৱহাৰ উদ্ভৱ হ'ল—ধাৰ পৰিশোধ কৰাৰ প্ৰকৃত অসুবিধা হ'ল ইয়াতেই। অথচ এই অৱস্থাতো কোনো দেশেই তাৰ শুল্কৰ দেৱাল অলপো চাপৰ কৰিবলৈ বা তাৰ প্ৰাপ্য টকাৰ বাবদ মালপত্ৰ লবলৈ ৰাজী নহ'ল—সেইটো কৰিবলৈ গ'লে তেওঁলোকৰ নিজৰ দেশৰ শিল্পৰ ক্ষতি হ'ব। অদ্ভুত এটা সৰপাক।

অৱশ্যে একমাত্ৰ য়ুৰোপৰ দেশবোৰেই যে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ওচৰত টকা ধাৰ লৈছিল এনে নহয়। আমেৰিকাৰ বেঙ্কাৰকলে আৰু ব্যৱসায়ী-সকলে কানাডা আৰু লেটিন আমেৰিকাতো (তাৰমানে দক্ষিণ আৰু মধ্য আমেৰিকা আৰু মেক্সিকো) প্ৰচুৰ পৰিমাণে টকা খটুৱাইছিল। বিশ্বযুদ্ধৰ সময়ত আধুনিক শিল্প আৰু কলকাৰখানাৰ শক্তিৰ প্ৰাচুৰ্য দেখি লেটিন আমেৰিকাৰ এই দেশবোৰ বৰ মোহিত হৈ পৰিছিল। এতেকে তেওঁলোকে প্ৰাণপণ কৰি তেওঁ-লোকৰ শিল্প-প্ৰচেষ্টা বঢ়াই তুলিব ধৰিলে। যুক্তৰাষ্ট্ৰৰ টকাৰ অভাৱ নাই—তাৰ পৰা হৰহৰাই টকা আহিব ধৰিলে এওঁলোকে লাহে লাহে ইমান টকা ধাৰ কৰি বহিল যে তাৰ কাৰণে সুদ পৰিশোধ কৰাই তেওঁলোকৰ পক্ষে অসম্ভৱ হৈ পৰিল, লেটিন আমেৰিকাত বহুতো ডিক্টেটৰ ওলাল। আমেৰিকাৰপৰা যেতিয়ালৈকে টকা ধাৰে পোৱা যায়, তেতিয়ালৈকে এওঁলোকৰ অসুবিধাও একো নাছিল, ঠিক যেনেদৰে জাৰ্মাণীক যতদিন আমেৰিকাই ধাৰ দি চলিছিল, তেতিয়ালৈকে সুবিধাই আছিল। তাৰ পিছত এদিন আমেৰিকাই লেটিন আমেৰিকাক টকা ধাৰ দিয়া বন্ধ কৰিলে, লগে লগে য়ুৰোপৰ দৰে তাতো ভাঙনৰ জোৰ পৰিল।

লেটিন আমেৰিকাক কি পৰিমাণে টকা ধাৰ দিছিল আৰু তাৰ পৰিমাণ কিদৰে দ্ৰুত গতিত বাঢ়ি আহিল, দুটা অঙ্কৰ যোগেদি তোমাক সেইটো অলপ বুজাই দিছোঁ। ১৯২৬ চনত এই টকাৰ সৰ্বমুঠ পৰিমাণ আছিল, ৪,২৫,০০,০০,০০০ ডলাৰ। ঠিক তিনিবছৰৰ পিছত ১৯২৯ চনত ইয়াৰ পৰিমাণ হলগৈ ৫,৫০,০০,-০০,০০০ ডলাৰতো বেছি।

এতেকে যুদ্ধৰ পিছৰ এইকেইটা বছৰ আমেৰিকাই যে আছিল গোটেই পৃথি-ৱীৰ মহাজন তাত সন্দেহ নাই। ধনী, সমৃদ্ধিশালী আমেৰিকা, ইমান টকা আছে যে টকাৰ জনতে ইয়াৰ কাটি যাওঁ কাটি যাওঁ অৱস্থা। পৃথিৱীৰ

তেতিয়া ইয়াৰে কৰ্তৃত্ব। য়ুৰোপৰ কালে আৰু আভোকেও যেছি কৰি এটিয়াৰ কালে, ই অতিশয় অৰজাৰ চকুৰে চাইছে,ইয়াৰ দৃষ্টিত এওঁলোক এলাহুকলীয়া বুঢ়া, জৰাগ্ৰস্ত আৰু কাজিয়া প্ৰিয়। ১৯২০ চনৰ পিছৰ পৰা আমেৰিকাৰ সমৃদ্ধি প্ৰায় চৰম সীমাত উঠিছিলগৈ, সেই সময়ত ইয়াৰ কি পৰিমাণৰ টকা হৈছিল, তাৰে এটি চমু আভাস তোমাক দিওঁ। ১৯১২ চনত আমেৰিকাৰ মুঠ জাতীয় সম্পদৰ পৰিমাণ আছিল—১,৮৭,২৩৯০,০০,০০০ ডলাৰ, পোন্ধৰ বছৰৰ পিছত ১৯২৭ চনত ইয়াৰ পৰিমাণ হ'লগৈ ৪,০০,০০,০০,০০,০০০ ডলাৰ। ১৯২৭ চনত ইয়াৰ লোকসংখ্যা আছিল প্ৰায় ১১৭০ লক্ষ, এতেকে জনমূৰি সম্পদৰ পৰিমাণ আছিল ৩,৪২৮ ডলাৰ। ইমান জোৰেৰে ইয়াৰ সমৃদ্ধি বাঢ়ি গৈছে যে এইবোৰ অঙ্ক প্ৰত্যেক বছৰেই সলনি হৈছে। ইয়াৰ আগৰ এখন চিঠিত ভাৰতবৰ্ষৰ আন আন দেশৰ বাৰ্ষিক আয় তুলনা কৰি লেখিছোঁ, সেই চিঠিত মই আমেৰিকাৰ ভাগৰ অঙ্কটো বহুত সৰু বুলি দেখুৱাইছিলোঁ। কিন্তু সেই অঙ্কটো আছিল বাৰ্ষিক আয়ৰ অঙ্ক, মুঠ সম্পদৰ পৰিমাণ নহয়। তাৰ উপৰিও খুব সম্ভৱ সেই অঙ্কটো ইয়াৰ আগৰ কোনো বছৰৰ। ১৯২৭ চনৰ যি অঙ্কটো ইয়াত দেখুৱালোঁ, সেইটো আমেৰিকাৰ প্ৰেচিডেণ্ট কুলিজ চাহাবে দিয়া এটি বিৱৰণীৰপৰা লোৱা হৈছে,১৯২৬ চনৰ নবেম্বৰ মাহত কুলিজে এই বিৱৰণী প্ৰকাশ কৰে।

আৰু কেইটামান অঙ্কৰ কথা ইয়াৰ লগতে তোমাক কওঁ। ইয়াৰ সকলোবোৰ ১৯২৭ চনৰ অঙ্ক। যুক্তৰাষ্ট্ৰত মুঠ পৰিয়াল আছিল ২,৭০,০০,০০০। এওঁলোকৰ যিমানবোৰ বিজুলীবাতি লগোৱা ঘৰ আছিল তাৰ মুঠ সংখ্যা ১,৫৯,-২৩,০০০। ১৭,৭৮০,০০০টা টেলিফোন চলিছিল। মটৰগাড়ী ব্যৱহাৰ হৈছিল ১,৯২,৩৭,১৭১খন। গোটেই পৃথিৱীতে যিমান মটৰ গাড়ী চলিছিল, এইটো তাৰ এশ ভাগৰ ৮১ ভাগ। পৃথিৱীত মুঠ যিমান মটৰ গাড়ী সেই বছৰত তৈয়াৰ হৈছিল, অকল আমেৰিকাই তৈয়াৰ কৰিছিল তাৰ শতকৰা ৮৭খন। পৃথিৱীত মুঠ পেট্ৰোলিয়ামৰ ভিতৰত শতকৰা ৭১ ভাগ উৎপন্ন হৈছিল আমেৰিকাত—যিমান কয়লা উৎপন্ন হৈছিল তাৰ শতকৰা ৪৩ ভাগ হৈছে আমেৰিকাতেই। অথচ আমেৰিকাত মুঠ যি লোক আছিল তাৰ পৰিমাণ আছিল পৃথিৱীৰ লোকসংখ্যাৰ শতকৰা ৬ জন। এতেকে তাত মানুহৰ জীৱন যাত্ৰাৰ সাধাৰণ মানেই আছিল অতি ওপৰত। তথাপি কিন্তু যিমানখিনি ওপৰত সেইটো হোৱাৰ সম্ভাৱনা আছিল, সিমান ওপৰত নাছিল। কাৰণ-বহুতো ধন গৈ সঞ্চিত হৈছিল অলপ কেইহাজাৰ লাখপতি আৰু কোটিপতিৰ হাতত। এই ডাঙৰ ব্যৱসায়ীসকলেই দেশখন শাসন কৰিছিল। এওঁলোকেই প্ৰেচিডেণ্ট নিৰ্বাচন কৰে, এওঁলোকেই আইন তৈয়াৰ কৰে, আকৌ এওঁলোকেই বহু ক্ষেত্ৰত সেই আইন ভাঙিও দুৰে। এই ডাঙৰ ব্যৱসায়ৰ ক্ষেত্ৰত অতিশয় দুৰ্নীতিৰ ৰাজত্ব চলিছিল, কিন্তু আমেৰিকাৰ জনসাধাৰণে সেই কথালৈ খুব নমৰাইছিল—তেওঁলোকে যেতিয়ালৈকে সুখে-স্বাচ্ছন্দ্যে থাকিব পাৰিছে, তেতিয়ালৈকে তেওঁলোকৰ কি আহে যায়।

১৯২০ চনৰ কালছোৱাত আমেৰিকাৰ যি সমৃদ্ধি দেখা গৈছে, তাৰ সম্বন্ধে এই অঙ্কবোৰ মই তোমাক শুনালোঁ দুটা উদ্দেশ্য লৈ। তাৰে প্ৰথমটো হৈছে, আধুনিক শিল্প প্ৰধান সভ্যতাৰ বলত, এই দেশখনে যি বিৰাট সমৃদ্ধি অৰ্জন কৰিছে

তাৰ লগত ভাৰতবৰ্ষ, চীন আদি শিল্পহীন পিছপৰা দেশবোৰৰ তুলনা কৰি দেখুৱা। আৰু এটা উদ্দেশ্য, এই সমৃদ্ধি আৰু ইয়াৰ পিছৰ কালত আকৌ সেই আমেৰিকাতেই যি বিষম সংকট আৰু ভাঙোনে দেখা দিছিল, ইয়াৰ মাজত তুলনা কৰা। এই সংকটৰ কথা মই তোমাক পিছত কম।

সংকট আহিল—আৰু বহুত পিছত। ১৯২৯ চনলৈকে সকলোৱে ভাবিছিল, য়ুৰোপ আৰু এচিয়াৰ যি দুৰ্গতি হৈছে, আমেৰিকাই কিজানি তাৰ হাত সাৰিব পাৰিলে। পৰাজিত দেশবোৰৰ অৱস্থাতো বৰ বেয়া হৈ পৰিছিল। জাৰ্মাণীৰ দৈন্য আৰু দুৰ্দশাৰ কথা মই তোমাক অলপ কৈছোঁ। মধ্য-য়ুৰোপৰ অধিকাংশ বিশেষকৈ অষ্ট্ৰীয়াৰ অৱস্থা হ'ল তাতকৈয়ো বহুগুণে বেয়া। তাৰ উপৰিও আকৌ অষ্ট্ৰীয়াত মুদ্ৰাস্ফীতি ঘটিছে—পোলেণ্ডতো সেয়ে। এওঁলোক দুয়ো নিজ মুদ্ৰাৰ সাল সলনি কৰিবলগীয়া হ'ল।

কিন্তু দুৰ্দশা যে কেৱল পৰাজিত দেশসমূহৰেই হ'ল এনে নহয়। বিজয়ী দেশবোৰো ক্ৰমে ইয়াৰ পাকত আহি পৰিল। ধৰুৱা হৈ থকাটো বৰ ভাল কথা নহয়—এইটো চিৰকলীয়া জনা কথা। এইবাৰ এটা নতুন আৰু অদ্ভুত জ্ঞান এওঁলোকে লাভ কৰিলে যে পাওনাদাৰ হোৱাও বিশেষ সুখৰ কথা নহয়। জাৰ্মাণীৰ পৰা এই বিজয়ী দেশবোৰৰ ক্ষতিপূৰণৰ টকা পাবলগীয়া আছিল। এই ক্ষতিপূৰণক উপলক্ষ্য কৰিয়েই এওঁলোকৰ বিষম বিপদ উপস্থিত হয়—আকৌ সেই ক্ষতিপূৰণৰ টকা পোৱাৰ ফলতেই এওঁলোক আৰু বেছি বিপদত পৰিল। তাৰ কথা মই তোমাক পিছৰ চিঠিত কম।

১৭৩

টকাৰ অদ্ভুত আচৰণ

১৬ জন, ১৮৫৩

যুদ্ধৰ পিছৰ কালছোৱাত পৃথিৱীত যি কেইটি আচৰিত ঘটনা দেখা দিছিল তাৰ ভিতৰত এটি টকাৰ অদ্ভুত আচৰণ। যুদ্ধৰ আগতে প্ৰত্যেক দেশৰে টকাৰ এটি মোটামোটি স্থিৰ মূল্য আছিল। প্ৰত্যেক দেশৰেই নিজৰ মুদ্ৰা আছিল, যেনে ভাৰতবৰ্ষত টকা, ইংলেণ্ডত পাউণ্ড, আমেৰিকাত ডলাৰ, ফ্ৰান্সত ফ্ৰাঙ্ক, জাৰ্মাণীত মাৰ্ক, ৰুচিয়াত ৰুবল, ইটালীত লিৰা ইত্যাদি। এই মুদ্ৰাবোৰৰ আকৌ পৰস্পৰ ভিতৰত এটি মূল্য বান্ধি দিয়া আছিল, সেই মূল্যৰ সলনি নহৈছিল। 'আন্তৰ্জাতিক সোণৰ মান' যাক কয় তাৰে সৈতে এইবোৰ পৰস্পৰৰ লগত সংযুক্ত আছিল। তাৰ মানে প্ৰত্যেক মুদ্ৰাৰেই এটি নিৰ্দিষ্ট মূল্য আছিল—সোণৰ দৰত নিৰ্দ্ধাৰিত মূল্য, প্ৰত্যেক দেশৰ মুদ্ৰা তাৰ নিজৰ চাৰিসীমাৰ ভিতৰত চলিব, কিন্তু বাহিৰত নচলে। এই দেশৰ মুদ্ৰাৰ ভিতৰত বিনিময়ৰ হাৰ থিক হয়—কোন মুদ্ৰাৰ কিমানখিনি সোণ আছে তাকে লৈ। এতেকে দুই দেশৰ ভিতৰত লেন-দেন, কিমান হিচাব-নিকাচ তাকো কৰা হয় সোণেৰে। প্ৰত্যেক দেশৰ মুদ্ৰাৰ স্বৰ্ণমূল্য যেতিয়ালৈকে সঠিক থাকে তেতিয়ালৈকে আন্তৰ্জাতিক বিনিময় বা লেনদেনৰ অঙ্কবো সলনি নহয়, কাৰণ সোণৰ দৰ সাধাৰণতে সদায় একেই থাকে।

যুদ্ধৰ সময়ত প্ৰয়োজনৰ কাৰণে গোটেই যুদ্ধত লিপ্ত থকা দেশৰ চৰকাৰসমূহে 'স্বৰ্ণমান' এৰি দিলে—তাৰ ফলত তেওঁলোকৰ মুদ্ৰাৰ দাম কমি গ'ল। অলপ মুদ্ৰাস্ফীতিও সংঘটিত হ'ল। ইয়াৰ ফলত ব্যৱসায়-বাণিজ্য চলোৱাৰ সুবিধা হ'ল কিন্তু বেলেগ বেলেগ দেশৰ মুদ্ৰাৰ মাজত যি পৰস্পৰ সম্পৰ্ক আছিল সেইটো ওলট-পালট হৈ গ'ল। যুদ্ধৰ সময়ত গোটেই পৃথিৱীখনেই দুটা ডাঙৰ ভাগত বিভক্ত হৈ গৈছিল,—একালে মিত্ৰপক্ষ আনকালে জাৰ্মাণ পক্ষ। প্ৰত্যেক পক্ষৰে মাজৰ দেশসমূহৰ মাজত সহযোগিতা আৰু সমানৱৰ্ত্তন চলিছিল, কাৰণ যুদ্ধৰ প্ৰয়োজনকেই সকলোতকৈ ডাঙৰ বুলি গণ্য কৰা হৈছিল। কিন্তু যুদ্ধৰ পিছত এইবোৰলৈ অসুবিধা হ'ল। অৰ্থনৈতিক অৱস্থা তেতিয়া বদলি হৈ গৈছে—কোনো দেশেই অন্য দেশক বিশ্বাস নকৰা হ'ল, ইয়াৰ ফলত সকলো দেশতে মুদ্ৰাৰ বিচিত্ৰ ধৰণৰ বিশৃঙ্খলাই দেখা দিলে। আজি কালিৰ দিনত টকা পইছাৰ বজাৰ চলিছে প্ৰায় ঋণ মুদ্ৰাৰ জৰিয়তে। বেঙ্ক নোট আৰু চেক দুয়োটাই আচলতে টকা দিয়াৰ প্ৰতিশ্ৰুতি পত্ৰ। টকাৰ সমানেই বুলি মানুহে মানি লয়। ঋণ সাধাৰণতে চলে বিশ্বাসৰ ওপৰত।

বিশ্বাস নেতিয়া ভাঙি যায় তেতিয়া ধাৰো অচল হৈ পৰে। যুদ্ধৰ পিছৰপৰা টকাৰ বজাৰত যে ইমান গণ্ডগোল হৈছে, এইটোৱেই তাৰ এটা কাৰণ ; য়ুৰোপৰ সকলোতে বিশৃংখলা, কোনে কাক বিশ্বাস কৰে নিশ্চিন্ত কৰি কোৱা টান হৈ পৰিছে। তাৰ উপৰিও আজিৰ পৃথিৱীত সকলোৱেই সকলোৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়—প্ৰত্যেক দেশেই আন সকলো দেশৰ লগত ঘনিষ্ঠ সম্পৰ্কত বান্ধ খাই আছে, দেশে দেশে সকলো সময়তে নানা ধৰণৰ কাৰ-কাজ আৰু ব্যৱসায় বাণিজ্য চলিছে। তাৰ মানে হৈছে এখন দেশত যদি কোনো গোলমাল হয়—সেই গোলমালৰ ফল অনতিপলমে আন আন দেশত প্ৰকাশ পায়। জাৰ্মাণ মাৰ্কৰ দাম যদি কমি যায় বা জাৰ্মাণীৰ এটা বেঙ্ক যদি দেউলীয়া হয়, তেন্তে হয়তো তাৰ ফলত লণ্ডন পেৰিচ নিউইয়ৰ্কৰ জনসাধাৰণ অসুবিধাত পৰিব।

এইবোৰ কাৰণতেই (আৰু বহুতো কাৰণত, সেইবোৰ তোমাক ইয়াত কোৱাৰ কোনো দৰকাৰ নাই) প্ৰায় সকলো দেশতে তেতিয়া মুদ্ৰাস্ফীতি বা টকাৰ বজাৰত বিশৃংখলাই দেখা দিছে। বহুতো ক্ষেত্ৰতে দেখা গ'ল শিল্প প্ৰগতিৰ ফালৰপৰা যি দেশ যিমান বেছি আগবঢ়া, বিপদো তাৰেই বেছি। ইয়াৰ কাৰণ বুজিবলৈ টান নহয়। শিল্পত আগবঢ়া মানেই হ'ল, সেই দেশখন আন নানা দেশৰ লগত বহু ধৰণে বান্ধ খাই থকা, সেই বান্ধোন যিমান জটিল সিমানেই সূক্ষ্ম। তিব্বত পিছ পৰা দেশ, আন কোনো দেশৰ লগত তাৰ সম্পৰ্কও সিমান নাই, মাৰ্কৰ দাম বাঢ়িল নে কমিল সেই কথালৈ ইয়াৰ একো গাবধৰণ নাই—এই কথা বুজিবৰ টান নহয়। কিন্তু দলাৰৰ দৰ যদি হঠাৎ কমি যায়—হয়তো লগে লগেই জাপানত কান্দাকাটা লাগি যাব।

তাৰ পিছত আকৌ প্ৰত্যেক শিল্প প্ৰধান দেশৰ মাজত একো একোদল মানুহৰ স্বাৰ্থ আছিল, বেলেগ বেলেগ ধৰণৰ। বহুতে বিচাৰিছিল টকাৰ দাম কমক, মুদ্ৰাস্ফীতি হ'ক, (অৱশ্যে জাৰ্মাণৰ দৰে এনে সীমাহীন, মাত্ৰাহীন মুদ্ৰাস্ফীতি নহয়), বহুতে আকৌ বিচাৰে ঠিক তাৰ ওলোটাতো, মুদ্ৰা সংকোচন কৰা হওক, তাৰ মানে সোণৰ হিচাবত টকাৰ দাম বাঢ়ক। যেনে ধৰা যিসকল লোকৰপৰা টকা পাব, মানে বেঙ্কৰ মালিক আদিয়ে, তেওঁলোক আছিল টকাৰ দৰ বঢ়াৰ পক্ষপাতী। তেওঁলোকে টকা পাব, এতেকে টকাৰ দাম বেছি হলেই লাভ। তেনেকৈ আকৌ যি সকলৰ দিবলগীয়া আছে, তেওঁলোকে স্বভাৱতেই বিচাৰিব টকাৰ দাম কমি যাওক, সস্তীয়া টকাৰে ধাৰ শোধ কৰিবলৈ তেওঁলোকৰ সুবিধা। শিল্পপতিসকল, কাৰখানাৰ মালিকসকল, সস্তীয়া টকাৰ পক্ষপাতী, কাৰণ এওঁলোক আছিল সাধাৰণতে ধৰুৱা, বেঙ্কৰ ওচৰত এওঁলোকৰ দিবলগীয়া আছে। তাতকৈও ডাঙৰ কথা, ইয়াৰ ফলত বিদেশত তেওঁলোকৰ তৈয়াৰী বস্তু বেচাৰ সুবিধা হব। বৃটেনত টকাৰ যদি দাম কমি যায়, তেন্তে তাৰ ফলত বিদেশৰ বজাৰত জাৰ্মাণী বা আমেৰিকা বা আন আন দেশৰ বস্তুৰ তুলনাত বৃটেনত বস্তুৰ দাম কম হব, এতেকে সেই বজাৰত বৃটেনৰ বস্তুৱেই বেছি বিক্ৰী হব—বৃটেনৰ শিল্পপতিসকলৰ তাতেই লাভ। এতেকে দেখিছা, এদলে টকাৰ দাম একালে টানিবলৈ ধৰিলে, আনদলে সিফালে টানিবলৈ ধৰিলে, এই জৰি টনাটানিৰ খেলাত প্ৰধান দুটি পক্ষ হ'ল শিল্পপতিসকল আৰু বেঙ্কৰ মালিকসকল। যিমানদূৰ পাৰি কথাটো মই সংক্ষেপতে ক'বলৈ চেষ্টা কৰিছোঁ আচলতে অৱশ্যে আৰু বহুত কথা ইয়াৰ ভিতৰত আছিল।

ফ্ৰান্স আৰু ইটালীত মুদ্ৰাস্ফীতি হ'ল, ফ্ৰাঙ্ক আৰু লিৰাৰ দাম কমি গ'ল। ফ্ৰাঙ্কৰ আগৰ দৰ আছিল প্ৰতি পাউণ্ড ষ্টাৰ্লিঙত (বৃটিছ পাউণ্ডৰ চৰকাৰী নাম) ২৫ ফ্ৰাঙ্কৰ সমান। সেইটো কাম হ'ল প্ৰতি পাউণ্ডত ২৭৫ ফ্ৰাঙ্ক। শেষলৈ সেইটো পাউণ্ডত ১২০ ফ্ৰাঙ্কৰ ওচৰা-উচৰি এটি স্থিৰ দৰত বান্ধি দিয়া হ'ল।

যুদ্ধৰ পিছত আমেৰিকাই বৃটেনক সাহায্য কৰা বন্ধ কৰি দিলে, তাৰ ফলত পাউণ্ডৰ দৰ অলপ কমি গ'ল। ইংলেণ্ডত তেতিয়া এটা সমস্যাৰ উদ্ভৱ হ'ল। এতিয়া ই কি কৰিব? পাউণ্ডৰ মূল্য স্বাভাৱিক কাৰণত যিখিনি কমিছে, এই মূল্যকে স্বীকাৰ কৰি লব, এই নতুন দৰকেই পাউণ্ডৰ দাম ধাৰ্য কৰি দিব? তাকে কৰিলে বস্তু বেহানীৰ দাম কমিব, শিল্পপতিসকলৰ সুবিধা হব, কিন্তু বেঙ্কৰ মালিক আৰু ঋণদাঁতাসকলৰ তাত লোকচান হ'ব। তাতকৈয়ো ডাঙৰ কথা, লণ্ডন ইমান দিন আছিল গোটেই পৃথিৱীৰ টকাৰ বজাৰৰ কেন্দ্ৰস্থল, তাৰ সেই প্ৰতিষ্ঠাতো ইয়াতে শেষ হব। তেতিয়া ইয়াৰ এই ঠাইত আহি থিয় হব নিউইয়ৰ্ক, পৃথিৱীত মানুহে টকা ধাৰ কৰিবলৈ আৰু লণ্ডনলৈ নাহিব, নিউ-ইয়ৰ্কলৈ যাব। আৰু এইটো যদি নহয়, তেন্তে আন পন্থাটো হ'ল পাউণ্ডৰ দৰক ঠেলি হেচি তাত পুৰণি অঙ্ককে বাহাল ৰখা। পাউণ্ডত তাৰ দ্বাৰা মৰ্যাদা বাঢ়িব, লণ্ডনো আগৰ টকাৰ বজাৰত শীৰ্ষস্থান অধিকাৰ কৰি থাকিব পাৰিব। কিন্তু শিল্প বাণিজ্যৰ ক্ষতি হব ইয়াৰ দ্বাৰা, তাৰ উপৰিও বহুতো অবাঞ্ছিত ফল দেখা যাব; কাৰ্যতঃ দেখা গৈছিলে।

১৯২৫ চনত বৃটিছ চৰকাৰে স্থিৰ কৰিলে তেওঁলোকে দ্বিতীয় পথটোকে লব। পাউণ্ডত স্বৰ্ণমূল্য বঢ়াই তেওঁলোকে ঠিক আগৰ অঙ্কত হিচাব ধৰিলেগৈ। এইদৰে বেঙ্কৰ মালিকসকলক ৰক্ষা কৰিবলৈ গৈ তেওঁলোকে শিল্প বাণিজ্যৰে স্বাৰ্থক অলপ ক্ষুণ্ণ কৰিলে। কিন্তু আচল সমস্যা যিটো তেতিয়া তেওঁলোকৰ আগত আহি পৰিছিল, সি আৰু গুৰুতৰ—তেওঁলোকৰ সাম্ৰাজ্যৰ অস্তিত্ব লৈয়ে টান পৰাৰ উপক্ৰম হৈছিল তেতিয়া। পৃথিৱীত টকাৰ বজাৰত লণ্ডনেই ইমানদিনে প্ৰভুত্ব কৰি আহিছে। আজি যদি সেই আসনৰ পৰা ই বিচ্যুত হয়—তেন্তে আৰু বৃটিছ সাম্ৰাজ্যৰ বিভিন্ন নেতৃত্ব বা সাহায্যৰ আশাত তাৰ কাষলৈ লৰি নাহিব—ফলত ইমান ডাঙৰ সাম্ৰাজ্যখনেই লাহে লাহে শেষ হৈ যাব। এতেকে এই প্ৰশ্নটো হ'লগৈ এটা সামাজিক নীতিৰ প্ৰশ্ন। বৃটেনত শিল্প বাণিজ্য আৰু দেশৰ জনসাধাৰণৰ প্ৰকৃত স্বাৰ্থ বলি দি এই বৃহত্তৰ সাম্ৰাজ্যবাদকেই তেতিয়া জীয়াই ৰখা হ'ল। তোমাৰ হয়তো মনত আছে, ঠিক এই ভাবেই সাম্ৰাজ্য ৰক্ষাৰ কথা চিন্তা কৰি যুদ্ধৰ পিছত বৃটেনে ভাৰতবৰ্ষৰ শিল্প প্ৰচেষ্টাক উৎসাহ আৰু সাহায্য দিছে, লাঙ্কাচায়াৰৰ কাপোৰ শিল্প আৰু বৃটেনৰ আন আন শিল্প বাণিজ্যৰ বহুতো ক্ষতি স্বীকাৰ কৰিও।

নেতৃত্ব আৰু সাম্ৰাজ্য জীয়াই ৰাখিবৰ কাৰণে বৃটেনে বৰ এটা বীৰোচিত চেষ্টা কৰিলে সন্দেহ নাই। কিন্তু ইয়াৰ কাৰণে তাৰ ভীষণ লোকচান সহ্য কৰিবলগীয়া হ'ল, শেষলৈ চেষ্টাটোও সফল নহ'ল। অৰ্থনৈতিক জীৱনত যি অনিবাৰ্য ভাগ্য বিপৰ্যয়ৰ সম্ভাৱনা ঘটিছিল তাৰ প্ৰতিৰোধ কৰিবৰ সাধ্য বৃটিছ চৰকাৰৰ নহ'ল, কোনো চৰকাৰৰে নহয়। কিছুদিনৰ কাৰণে অৱশ্যে পাউণ্ডে তাৰ পুৰণি

মৰ্য্যাদা আৰু প্ৰতিষ্ঠা ওভোতাই পালে। কিন্তু তাৰ বাবে ভীষণ মূল্য দিবলগীয়া হ'ল, দেশৰ শিল্প-বাণিজ্য ক্ৰমে যেন পক্ষাঘাতত অচল হৈ পৰিল। নিবনুৱা সমস্যা বাঢ়িল, বিশেষকৈ কয়লা শিল্পৰ বৰ বেছি ধৰণৰ ক্ষতি হ'ল। পাউণ্ডৰ সংকোচনাই (স্বৰ্ণমূল্য বঢ়োৱাৰ এই কুয়েদাটিক এই নামেৰেই অভীহিত কৰা হয়) আছিল ইয়াৰ প্ৰধান কাৰণ। আন আন কাৰণো অৱশ্যে আছিল। যুদ্ধৰ ক্ষতি-পূৰণৰ বাবদ জাৰ্মাণীৰপৰা অলপ কয়লা নিয়া হৈছিল, তাৰ মানেই বৃটিছ কয়লাৰ প্ৰয়োজন আৰু সিমানখিনি নাথাকিল, এতেকে কয়লাখনিত যি শ্ৰমিকসকলে খাটিছিল তেওঁলোকৰ ভিতৰত বহুতো লোক নিবনুৱা হৈ পৰিল। বিজিত দেশৰ পৰা এই ধৰণৰ ৰাজহ আদায় কৰি নিয়াটো বৰ সুখৰ কথা নহয়। বৃটেনৰ কয়লা শিল্পৰ ব্যৱস্থাও আছিল বৰ বেয়া। বহু শ শ সৰু প্ৰতিষ্ঠানে বেলেগ বেলেগভাৱে খনি চলায়। য়ুৰোপ মহাদেশ আৰু আমেৰিকাৰ খনি চলিছিল বহুতো বেছি ডাঙৰ আৰু বহুত বেছি সুসংবত প্ৰতিষ্ঠানৰ দ্বাৰা,—তেওঁলোকৰ লগত প্ৰতি-যোগিতা কৰি চলা সৰু আৰু বিশৃঙ্খল বৃটিছ প্ৰতিষ্ঠানৰ পক্ষে সহজ নাছিল।

কয়লা শিল্পৰ অৱস্থা দিনে দিনে আৰু বেয়া হবলৈ ধৰিলে। খনিৰ মালিক-সকলে তেতিয়া স্থিৰ কৰিলে বনুৱাসকলৰ দৰমহা কমাই দিব। খনিৰ বনুৱাসকলে ইয়াত আপত্তি তুলিলে। আন আন শিল্পৰ শ্ৰমিকসকলেও তেওঁলোকক আৰনি কৰিলে। বৃটেনৰ গোটেই শ্ৰমিকসকলে খনিৰ বনুৱাসকলৰ পক্ষত থিয় হৈ যুঁজি-বলৈ সাজু হ'ল। এখন 'কৰ্ম্ম-পৰিষদ' গঠন কৰা হ'ল। ইয়াৰ কিছুদিন আগতে দেশৰ প্ৰধান তিনিটা ট্ৰেড-ইউনিয়নৰ মাজত এটা বিৰাট ধৰণৰ 'তিনি শক্তিৰ' মিত্ৰতা স্থাপিত হৈছিল। এই তিনিটা ট্ৰেড-ইউনিয়ন হৈছে, খনি-শ্ৰমিক,ৰেলৱে-শ্ৰমিক, আৰু যান-বাহনৰ শ্ৰমিকসকলৰ ইউনিয়ন। লাখ লাখ সুশিক্ষিত আৰু সুসংবত শ্ৰমিক এওঁলোকৰ মাজত আছিল। শ্ৰমিকসকলে এনেদৰে মাউখে উঠিলত চৰ-কাৰে ভয় খালে। খনিৰ মালিকসকলক অলপ বেছিকৈ অৰ্থ সাহায্য দি তেওঁ-লোকে আসন্ন সংকটৰপৰা তেওঁলোকক সেই সময়ৰ বাবে ৰক্ষা কৰিলে। সেই সাহায্যৰ টকাৰে মালিকসকলে আৰু এবছৰ পৰ্য্যন্ত পুৰণি হাৰতে দৰমহা দি থাকিব পাৰিব। ইতিমধ্যে অৱশ্যৰ যুঁজ নলবলৈ এটা অন্ত কৰিছল বছৰা হ'ল। কিন্তু প্ৰকৃত কামত ইয়াৰপৰা একো নহ'ল। পিছৰ বছৰ অৰ্থাৎ ১৯২৬ চনত খনিৰ মালিকসকলে আকৌ দৰমহা কমাবলৈ চেষ্টা কৰিলে। এতেকে সংকটটো আকৌ ঘনীভূত হ'ল। চৰকাৰে আৰু এইবাৰ ভয় নেখালে, শ্ৰমিকসকলৰ লগত যুঁজ কৰিবলৈ সাজু হ'ল। যোৱা কেইমাহমান তেওঁলোকে এই যুঁজৰ কাৰণে সকলো ৰকমৰ প্ৰস্তুতি কৰি লৈছে।

কয়লাৰ মালিকসকলে স্থিৰ কৰিলে, বনুৱাসকল দৰমহা কমোৱাত ৰাজী নহয়—এতেকে তেওঁলোকে খনিত তলা বন্ধ কৰি দিব। ইয়াৰ ফলত গোটেই ইংলেণ্ড জুৰি এটা ডাঙৰ ধৰ্মঘট আৰম্ভ হ'ল। এই ধৰ্মঘটৰ নিৰ্দেশ দিয়ে ট্ৰেড ইউনিয়ন কংগ্ৰেছে। এওঁলোকৰ আহ্বানত দেশত আচৰিত সঁহাৰি পালে। দেশৰ মতে বিধান সংযুক্ত বনুৱা সংঘ আছিল প্ৰায় প্ৰত্যেকেই কাম বন্ধ কৰি দিলে। ইংলেণ্ডৰ সকলো জীৱনযাত্ৰা যান বাটতে থমকি ৰ'ল। ৰেলগাড়ী নচলে, কাতৰি কাকত ছপোৱা নহয়, কোনো কাম-কাজেই প্ৰায় দেশত নচলা হৈছে। দুই চাৰিটা একেবাৰে এবাৰ নোৱাৰা কাম কেৱল স্বেচ্ছাসেৱক বাহিনীৰ জৰিয়তে চৰকাৰে

কোনোৰকমে চলাই গৈছে। এই ধৰ্মঘট দেশজুৰি আৰম্ভ হয় ১৯২৬ চনৰ ৩।৪ মে'ৰ মাজনিশা; কিন্তু ট্ৰেড-ইউনিয়ন কংগ্ৰেছৰ পক্ষপাতী নেতাসকলে, এনে ধৰণৰ বৈপ্লৱিক ধৰ্মঘট ভাল নাপালে, দহদিন ধৰ্মঘট চলাৰ পিছত হঠাৎ এওঁলোকে বনুৱাসকলক কিছুমান প্ৰতিশ্ৰুতিৰ অজুহাত দেখুৱাই ধৰ্মঘট বন্ধ কৰিবলৈ নিৰ্দেশ দিলে। খনিৰ শ্ৰমিকসকল একেবাৰে নিৰুৎসাহ হৈ পৰিল, তথাপি বহুতো দীঘলীয়া কাল, বহু মানুহ খৰি বহুতো কষ্ট সহ্য কৰিও তেওঁলোকে নিজৰ ধৰ্মঘট চলাই গ'ল। কিন্তু শেষলৈ অনাহাৰ আৰু উৎপীড়নত তেওঁলোকে পৰাজয় মানিবলৈ বাধ্য হ'ল। শ্ৰমিকসকলৰ জীৱন-যাত্ৰাৰ মান আৰু বহুত তললৈ নামিল। চৰকাৰৰ পক্ষৰ জয় হ'ল, সেই সুযোগতে তেওঁলোকে বহুত নতুন নতুন আইন প্ৰৱৰ্তন কৰি ললে, যাতে তাৰ ভবিষ্যতে শ্ৰমিকসকলৰ জোৰ কমাই দিয়া যায়, যাতে ভবিষ্যতলৈ আৰু এনে দেশজুৰি ধৰ্মঘট কৰাৰ সম্ভাৱনা নাথাকে। ১৯২৬ চনৰ এই দেশব্যাপী হোৱা ধৰ্মঘট ব্যৰ্থ হৈছিল। তাৰ কাৰণে, শ্ৰমিকসকলৰ নেতৃবৃন্দৰ মনৰ জোৰ আৰু মতি-গতিৰ স্থিৰতা নাছিল ধৰ্মঘটৰ কাৰণে তেওঁলোক ভালদৰে প্ৰস্তুত হৈয়ো লোৱা নাছিল। প্ৰকৃততে এওঁলোকৰ উদ্দেশ্যই আছিল ধৰ্মঘট এৰাই চলা, সেইটো যেতিয়া নোৱাৰিলে, তেতিয়া প্ৰথম সুযোগ পোৱাৰ লগে লগেই তেওঁলোকে এইটো বন্ধ কৰি দিলে। আনকালে চৰকাৰৰ পক্ষে ইয়াৰ কাৰণে সম্পূৰ্ণ প্ৰস্তুত হৈছিল— আৰু তেওঁলোকৰ পিছত আছিল মধ্যবিত্ত শ্ৰেণীসকলৰ সমৰ্থন।

ইংলেণ্ডত এই ব্যাপক ধৰ্মঘট আৰু কয়লাৰ খনিৰ দীঘলীয়া তলাবন্ধ ধৰ্মঘট দেখি চোভিয়েট ৰুচিয়াত বৰ উৎসাহৰ সঞ্চাৰ হৈছিল। ইংলেণ্ডৰ খনি শ্ৰমিকসকলৰ সাহায্যাৰ্থে ৰুচিয়াৰ ট্ৰেড্ ইউনিয়নে যিদৰে ৰাশি ৰাশি ধন দিলে, ৰুচিয়াৰ শ্ৰমিকসকলেই নিজে চান্দা তুলি সেই টকা পঠাইছিল।

তেতিয়াৰ কাৰণে ইংলেণ্ডৰ শ্ৰমিকসকল পৰাজিত হ'ল। কিন্তু দেশৰ শিল্প প্ৰচেষ্টাত তেতিয়া ভাঙোনে ধৰিছে, নিবনুৱা সমস্যা দিনে দিনে বাঢ়িব ধৰিছে,— তাৰ সমাধান ইয়াৰে নহয়। নিবনুৱা সমস্যা মানেই হৈছে, শ্ৰমিকসকলৰ ব্যাপক দুখ-দুৰ্দশা; তাৰ উপৰিও ৰাষ্ট্ৰৰ ওপৰতো ই এটা ডাঙৰ বোজা হৈ উঠিছিল। কাৰণ ইতিমধ্যে বহুতো দেশত এটা নিবনুৱা বীমা ব্যৱস্থা আৰম্ভ হৈছে। সকলোৱেই তেতিয়া স্বীকাৰ কৰিছে, যি শ্ৰমিকে তেওঁৰ নিজৰ কোনো দোষ নোহোৱাকৈ নিবনুৱা হৈ আছে, তেওঁক ভৰণ-পোষণ যোগোৱাৰ ভাৰ বা কৰ্তব্য হৈছে ৰাষ্ট্ৰৰ। এতেকে নিবনুৱা বুলি বিজনে নাম ভৰ্তি কৰিছে, তেওঁলোকক সাহায্য বা ভিক্ষা বুলি অলপ কিবা দিব লাগিছিলেই, এতেকে চৰকাৰ আৰু স্থানীয় চৰকাৰী প্ৰতিষ্ঠানবোৰৰ বিৰাট পৰিমাণৰ টকা ইয়াৰ কাৰণে খৰচ কৰিবলগীয়া হৈছিল।

এইবোৰ ঘটনা ঘটিছিল কিয়? কেৱল ইংলেণ্ড বুলি নহয় পৃথিৱীৰ প্ৰায় সকলোতেই কিয় তেতিয়া শিল্পৰ অৱনতি ঘটিছিল, বাণিজ্য মন্দা পৰিছিল, নিবনুৱা সমস্যা বাঢ়ি গৈছিল? মানুহৰ অৱস্থা বেয়া হৈ গৈছিল? কিমান কনফাৰেন্সৰ পিছত কনফাৰেন্স হ'ল, অৱস্থাৰ উন্নতি সাধনৰ কাৰণে ৰাষ্ট্ৰনীতিবিদসকলে আৰু শাসকসকলে লেখ্-লেখ্কৈ ব্যগ্ৰ হৈ পৰিল—কিন্তু একোৱেই নহ'ল। এনে নহয় যে ভূমিকম্প বানপানী বা অনাবৃষ্টিৰ দৰে কিবা এটি প্ৰাকৃতিক দুৰ্যোগে আহি দেখা দিছে—লগত আনিছে দুৰ্ভিক্ষ আৰু দুৰ্দশা। পৃথিৱী তেতিয়াও

আগৰ দৰেই চলিছিল। প্ৰকৃতপক্ষে তেতিয়া পৃথিৱীত আগতকৈ বহুত বেছি খাদ্য আছিল। বহুত বেছি কাৰখানা আছিল, যিবোৰ মানুহৰ প্ৰয়োজনীয় বস্তু সকলোৰেই বেছি বেছি আছিল। অথচ মানুহৰ দৈন্য-দুৰ্দশা আগতকৈ বহুত বেছি হৈছিল। ই এটা ওলোটা ফল, ইয়াৰ মূলতে ক'ৰবাত কিবা এটা যে বৰ ডাঙৰ ভুল হৈ গৈছে, সেইটো বেচ বুজিব পৰা হৈছিল। প্ৰত্যেক কথাতে তেতিয়া বিশৃঙ্খলতাই দেখা দিছে। সমাজতন্ত্ৰীসকলে আৰু কমিউনিষ্টসকলে কৈছে এইবোৰ সকলো হৈছে পুঁজিপতিবাদৰ কুফল। প্ৰমাণস্বৰূপে তেওঁলোকে দেখুৱাইছিল ৰুচিয়াক—বহু বিপত্তি, বহু বাধা-বিঘিনি আছে তাত, কিন্তু নিবনুৱা সমস্যা তাত অন্ততঃ নাই।

এইবোৰ বৰ জটিল আলোচনা, আৰু বেমাৰ কেনেদৰে উপশম হব সেই সম্বন্ধে ডাক্তৰ আৰু পণ্ডিতসকলৰ মাজতে মতভেদৰ অন্ত নাই। তথাপি এবাৰ সমস্যাটো নাৰিচাৰি চোৱা যাওক,—ইয়াৰ ভিতৰত ডাঙৰ ডাঙৰ কথা কিকেইটা আছে তাৰে দুই-এটা আলোচনা কৰি চোৱা যাওক।

গোটেই পৃথিৱীয়ে এতিয়া দিনে দিনে এটা মাত্ৰ অখণ্ড ৰূপ গ্ৰহণ কৰিছে, এই ৰূপান্তৰ তাত বহুখিনি সম্পূৰ্ণও হৈছে। তাৰ মানে, মানুহৰ জীৱন, কাৰ্য-কলাপ, বস্তু উৎপাদন, বিতৰণ, ভোগ,—সকলোৰেই এটা আন্তৰ্জাতিক বা গোটেই জগতৰ ঘটনাত পৰিণত হৈছে, ইয়াৰ বেগো বৰ খৰতকীয়া হৈ পৰিছে। বাণিজ্য শিল্প, মুদ্ৰানীতি, এইবোৰৰ প্ৰকৃতিও হৈছে বহুখিনি আন্তৰ্জাতিক। এইবোৰ ক্ষেত্ৰত সকলো দেশেই এতিয়া পৰস্পৰৰ লগত ঘনিষ্ঠ সম্পৰ্কত জড়িত, পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁলোক জীয়াই আছে, এখন দেশত কিবা ঘটিলে আনদেশৰ চৰকাৰৰ ভিতৰত তাৰ প্ৰতিক্ৰিয়াই দেখা দিয়ে। অথচ ইমান দূৰ আন্তৰ্জাতিকতাৰ ভিতৰতো প্ৰত্যেক দেশৰ চৰকাৰ আৰু তাৰ কূটনীতি এতিয়াও চলে জাতীয়তাৰ সংকীৰ্ণ পথেদি। প্ৰকৃততে যুদ্ধৰ পিছত এই কেইবছৰৰ মাজত এওঁলোকৰ এই সংকীৰ্ণ জাতীয়তাবাদ লাহে লাহে বিকৃত আৰু উগ্ৰ হৈ পৰিছে। আজিৰ দিনৰ পৃথিৱীৰ বহুতো ঘটনাই চলিছে ইয়াৰ ইঙ্গিতত। তাৰ ফলত বিৰোধৰ সৃষ্টি হৈছে, একালে জগতৰ মাজৰ আন্তৰ্জাতিক জীৱনৰ সকলো ঘটনা, আৰু আনকালে, বিভিন্ন দেশৰ চৰকাৰৰ আন্তৰ্জাতিক কূটনীতি—এই দুয়োৰো ভিতৰত সকলো সময়তেই সংঘাত চলিছে। মনত ৰাখিবা, পৃথিৱীৰ এই আন্তৰ্জাতিক জীৱনধাৰা ই যেন এখন নদী, সমুদ্ৰৰ ফালে বৈ গৈছে, আৰু বিভিন্ন জাতিৰ নিজা কূটনীতিয়ে যেন সেই নদীক বান্ধিবৰ চেষ্টা চলাইছে,—তাৰ সোঁতক বাধা দিব বিচাৰে, বাধা দি ৰাখিবলৈ বিচাৰে, পথ এৰি বিপথে নিবলৈ বিচাৰে, আনকি পিছুৱাই ঘোৰাটোও বিচাৰে। সেই নদী পিছুৱাই নেযায়, বা তাক ঘূৰো-ৱাটো সম্ভৱ নহয়। এইটো সহজ কথা। কিন্তু তথাপি হঠাৎ এবাৰ হয়তো তাৰ গতি কিছুপৰিমাণে ঘূৰাই দিব পাৰে বা একোটা বান্ধ দিয়াৰ ফলত সি ফুলি উঠি বান পানীৰ সৃষ্টি কৰিব পাৰে। ঠিক এনেদৰেই আজি-কালিৰ এই জাতীয়তাবাদে নদীৰ সোঁতত ব্যাঘাত জন্মাইছে, শংকনীয়া অৱস্থা বহু দুৰ্দিন সৃষ্টি কৰিছে। কিন্তু শেষলৈ তাৰ নিজৰ পথেদিয়েই ই বৈ যাব, তাক বাধা দি ৰখাৰ সাধ্য ইহঁতৰ নাই।

বাণিজ্য আৰু অৰ্থনৈতিক জীৱন যাত্ৰাৰ ক্ষেত্ৰত সেয়ে আবিৰ্ভাৱ হৈছে তথাকথিত 'অৰ্থনৈতিক জাতীয়তাবাদৰ'। ইয়াৰ অৰ্থ হৈছে এখন দেশে আনৰপৰা যিমান বস্তু কিনিলে তাতকৈ তেওঁলোকে বেচিব লাগিব বেছি। যিমান বস্তু সি ভোগ কৰে তাতকৈ সি উৎপাদন কৰিব লাগিব বেছি। প্ৰত্যেক দেশেই তেওঁলোকৰ নিজৰ বস্তু আনৰ ওচৰত বেচিব বিচাৰিছে, কিন্তু সেয়ে যদি হয়, সেই বস্তু কিনিব কোনে? বস্তু বেচিবলৈ গলে বিক্ৰিদাৰ থকাৰ লগে লগে খৰিদ্দাৰোতো থকা দৰকাৰ। কেৱল বিক্ৰিদাৰেৰে ভৰপুৰ এখন জগত—ই একেবাৰে অসম্ভৱ কল্পনা। অথচ এই কল্পনাৰ আশ্ৰয় লৈ অৰ্থনৈতিক জাতীয়তাবাদৰ সৃষ্টি। প্ৰত্যেক দেশেই তাৰ চাৰিওফালে বাণিজ্য শুল্কৰ ওখ দেৱাল গঢ়ি তুলিছে, বিদেশী বস্তু যাতে দেশত সোমাব নোৱাৰে, তাৰ বাট এই শুল্কই বন্ধ কৰি দিয়াত এইখন অৰ্থনৈতিক দেৱাল। আৰু তাৰ লগে লগে, নিজৰ ব্যৱসায় বাণিজ্য বঢ়োৱাৰ চেষ্টা। আধুনিক জগত গঢ়ি উঠিছে আন্তৰ্জাতিক বাণিজ্যক আশ্ৰয় কৰি, এই শুল্কৰ দেৱালবোৰে সেই বাণিজ্যত বাধা জন্মাইছে, ইয়াক হত্যা কৰিছে। বাণিজ্য 'মন্দা' পৰাৰ লগে লগেই শিল্পবো দুৰ্দশা হয়, নিবনুৱা সমস্যা বাঢ়ি যাব। তাকে দেখি তেতিয়া আকৌ বৰ উৎসাহেৰে বিদেশী বস্তুক বাহিৰত ঠেলি ৰাখিবলৈ চেষ্টা কৰা হয়, কোৱা হয়—এই বস্তুই এই দেশৰ শিল্পক বাঢ়িব নিদিও শুল্কৰ দেৱাল আৰু ওখ কৰি বন্ধা হয়। এতেকে তেতিয়া আন্তৰ্জাতিক বাণিজ্যত আৰু বেচি বাধা পৰে, আৰু এনেদৰে পাকচক্ৰ আগবাঢ়ে।

আধুনিক জগতৰ শিল্প জীৱনে প্ৰকৃততে জাতীয়তাবাদৰ যুগক বহুত পিছত পেলাই আগুৱাই গৈছে। বস্তু উৎপাদন আৰু বিতৰণৰ যি আয়োজন পৃথিৱীত গঢ়ি উঠিছে, ই বিশেষ কোনো দেশ বা চৰকাৰৰ জাতীয়তাৰ গণ্ডিত খাপ নাখায়। ভিতৰৰ আকৃতি লাহে লাহে বাঢ়ি ডাঙৰ হৈ পৰিছে, তাৰ তুলনাত বাহিৰৰ খোলাটো সৰু—এতেকে সেই খোলাটো ফাটি ভাঙি যায়।

বাণিজ্যৰ ক্ষেত্ৰত এইবোৰ শুল্ক প্ৰাচীৰ আদিৰে বাধা সৃষ্টি কৰা হৈছে ইয়াৰ প্ৰকৃততে প্ৰত্যেক দেশৰ কেইটিমান শ্ৰেণীৰ লোকৰ হে উপকাৰ হৈছে। কিন্তু দেশৰ ভিতৰত এই শ্ৰেণীবোৰৰ হাততেই প্ৰভুত্ব, এতেকে দেশে কোন বাটেৰে বাট বুলিব তাকো এওঁলোকেই স্থিৰ কৰে। প্ৰত্যেক দেশেই চেষ্টা কৰিছে, জাপ দি বহুতো আগবাঢ়ি যাবলৈ, ফলত সকলোৱে মিলি হুৱাহুৱি, ঠেলাঠেলি কৰি মৰিছে, দেশে দেশে, প্ৰতিদ্বন্দ্বিতা আৰু বিদ্বেষ লাহে লাহে বাঢ়ি গৈছে। পৰস্পৰৰ ভিতৰত কাজিয়া মিতমাত কৰিবলৈ এতিয়া বাৰে বাৰে চেষ্টা কৰা হৈছে, কত সভা, কত কনফাৰেন্স পতা হৈছে, কত সভাত সকলো দেশৰেই ৰাষ্ট্ৰনীতিবিদসকলে বৰ ভাল ভাল সংকল্প ব্যক্ত কৰিছে, তথাপি শান্তি স্থাপন তেওঁলোকে কোনোমতেই কৰিব পৰা নাই। এইবোৰ শুনি ঠিক ভাৰতবৰ্ষৰ সাম্প্ৰদায়িক সমস্যা, হিন্দু-মুছলমান-শিখৰ সমস্যা সমাধানৰ কাৰণে যি বছৰে বছৰে চেষ্টা চলিছে, তাৰ কথাকে মনত পৰি থাকে—নহয়নে? সম্ভতঃ দুয়োটা ক্ষেত্ৰতে চেষ্টা ব্যৰ্থ হৈছে একে কাৰণতে; ভুলধাৰণা আৰু ভুল তথ্য লৈ এওঁলোকে তৰ্ক কৰিছে, মূল উদ্দেশ্যতো আছেই।

শুল্কৰ প্ৰাচীৰ আৰু অৰ্থনৈতিক জাতীয়তাবাদৰ সহায়ক আৰু বত চেনু

আছে যেনে শিল্পক চৰকাৰী অৰ্থসাহায্য, ৰেলভাৰাৰ নিৰ্দিষ্ট নিৰিখ, ইত্যাদি—ইয়াৰ ফলত লাভ হয় কাৰ ? মালিক আৰু উৎপাদকসকলৰ। শুল্ক ইত্যাদিৰে আৱৰি দেশৰ বজাৰখন সংৰক্ষিত কৰি ৰখা হৈছে, সেই বজাৰৰ লাভখিনি এওঁলোকে লয়। এনেদৰে বাণিজ্য সংৰক্ষণ, শুল্কৰ দেৱাল আদিৰ সহায়ৰে কিছুমান স্বাৰ্থ গঢ়ি তোলা হয়। তাৰ পিছত এই কায়েমী স্বাৰ্থ থকা লোকসকলৰ যি নিয়ম তেওঁলোকৰ তিলমানো ক্ষতি হব পাৰে, এনে কোনো পৰিৱৰ্তনৰ কথা উঠিলেই এওঁলোকেই দুৰ্ধোৰ আপত্তি প্ৰকাশ কৰিব ধৰে। বাণিজ্য শুল্ক এবাৰ বহুৱা হলে সেই শুল্ক যে আৰু তুলি দিয়া নহয়, সম্পূৰ্ণ চলি থাকে, এইটোৱেই হৈছে তাৰ কাৰণ। অৰ্থনৈতিক জাতীয়তাবাদৰ সকলোৰেই ক্ষতি, এই কথাটো এতিয়া সকলোৱেই বুজি পাইছে, কিন্তু তথাপি সেই বস্তুটো পৃথিৱীৰপৰা লোপ পোৱা নাই,—তাৰো কাৰণ এয়েই। কিছুমান কায়েমী স্বাৰ্থ এবাৰ সৃষ্টি কৰি ললে, তাৰ পিছত তাক উচ্ছেদ কৰা সহজ কথা নহয়। কোনো এখন দেশৰ পক্ষে অকলে এই কাম কৰিবলৈ যোৱা আৰু কঠিন। পৃথিৱীৰ সকলো দেশ যদি এক হৈ কাম কৰিবলৈ ৰাজী হয়, শুল্ক প্ৰাচিৰ বস্তুটো একেবাৰে তুলি দিয়া হয় বা অন্ততঃ বহুখিনি কমাই দিবলৈ ৰাজী হয়,তেনেহলে হয়তো কামটো হবও পাৰে। কিন্তু সেই ক্ষেত্ৰতো কামটো সহজ নহয়—তাৰ কাৰণ শিল্প প্ৰচেষ্টাত যিবোৰ দেশ পিচপৰি আছে, তেওঁলোকৰ ইয়াৰ দ্বাৰা অৱস্থা বেয়া হৈ পৰিব,—যি দেশখন বেছি আগুৱাই গৈছে তেওঁলোকৰ লগত সমানে সমানে প্ৰতিদ্বন্দ্বিতা কৰা এওঁলোকৰ সম্ভব নহয়। বহুত সময়ত সংৰক্ষণ শুল্কৰ আঁৰত দেশত নতুন নতুন শিল্প গঢ়ি তোলা হয়।

অৰ্থনৈতিক জাতীয়তাবাদে বিভিন্ন দেশৰ মাজত বাণিজ্যক বাধা দিয়ে, বন্ধ কৰি দিয়ে, তাৰ ফলত পৃথিৱীৰ বজাৰত বেচা-কিনা ঠিকমতে চলিব নোৱাৰে। প্ৰত্যেক দেশেই এটি একচেটিয়া অঞ্চলত পৰিণত হয়। ইয়াৰ বজাৰ নিজৰ কাৰণেই সংৰক্ষিত। পৃথিৱীত অবাধ বাণিজ্যৰ মুকলি বজাৰ ক্ৰমে লোপ হৈ যায়। ডাঙৰ ডাঙৰ ট্ৰাষ্ট, কাৰখানা, দোকানীসকলে সৰু সৰু দোকানী বা সৰু সৰু উৎপাদক যিসকল আছিল, তেওঁলোকক গিলি একেবাৰে হজম কৰি পেলালে বজাৰৰ প্ৰতিদ্বন্দ্বিতা বুলিবলৈ আৰু একো নাথাকে। আমেৰিকাত, বৃটেন, জাৰ্মাণী, জাপানত আৰু আন আন শিল্প প্ৰধান দেশত এনে ধৰণৰ জাতীয় একচেটিয়া প্ৰতিষ্ঠানসমূহ বৰ তীব্ৰ গতিত বাঢ়ি উঠিছে, ফলত দেশৰ সকলো ক্ষমতা গৈ একত্ৰিত হৈছে গৈ মুষ্টিমেয় কেইজনমান মানুহৰ হাতত। পেট্ৰল, চাবোন, ৰসায়নিক বস্তু, ৰণ সম্ভাৰ, লোহা, ৰেলৰ ব্যৱস্থা, আদি কৰি কিমান যে একচেটিয়া ব্যৱসায়ীসকলৰ হাতত গৈ পৰিছে তাৰ লেখ জোখ নাই। ইয়াৰ আকৌ এটা অদ্ভুত ফল আছে। এই একচেটিয়া ব্যৱসায় হৈছে, বিজ্ঞানৰ উন্নতি, আৰু পুঁজিবাদৰ প্ৰগতিৰ অপৰিহাৰ্য ফল, অথচ সেই পুঁজিবাদৰ মূল শিপা ই কাটি পেলায়। পুঁজিবাদৰ আৰম্ভই হৈছিল, পৃথিৱী ব্যাপী বজাৰ আৰু অবাধ বাণিজ্যক আশ্ৰয় কৰি, প্ৰতিযোগিতাই আছিল পুঁজিবাদৰ প্ৰাণবায়ু। এতিয়া যদি পৃথিৱী ব্যাপী আৰু বজাৰ নাথাকে, দেশৰ গণ্ডিৰ মাজতো যদি অবাধ বাণিজ্য আৰু প্ৰতিযোগিতা জীয়াই নাথাকে,

তেন্তে পুঁজিবাদী সমাজৰ এই যে পুৰণি ব্যৱস্থা, তাৰ তলি ফুটি যাব। ইয়াৰ ঠাইত তেতিয়া আকৌ কোন আহি বহিব, সেইটো বেলেগ কথা, কিন্তু এই যে পৰস্পৰ বিৰোধী কাণ্ড চাৰিওফালে চলিছে, এই অৱস্থাত পুৰণি দিনৰ ব্যৱস্থাও আৰু বেছি দিন চলিব নোৱাৰিব বুলি মনত ধৰে।

বিজ্ঞান আৰু শিল্প ইমান আগুৱাই গৈছে, বৰ্ত্তমান সমাজব্যৱস্থা, তাৰ লগত ফেৰ মাৰি চলিব পৰা নাই। বিজ্ঞান আৰু শিল্প মিলি বিপুল পৰিমাণৰ খাদ্য আৰু জীৱন যাত্ৰাৰ প্ৰয়োজনীয় বস্তু বাহিৰী তৈয়াৰ কৰিছে; ইমান বস্তু লৈ কি কৰা যায় সেইটোৱেই পুঁজিবাদী সকলে ভাবি ঠিক কৰিব পৰা নাই। প্ৰকৃততে প্ৰায়েই ই তাৰ কিছু অংশ নষ্ট কৰি পেলাই, বা উৎপাদনৰ সীমা নিৰ্দেশ কৰি দিবলৈ স্থিৰ কৰে। এতেকে আমি এটা অপূৰ্ব দৃশ্য দেখিবলৈ পাইছোঁ, ধনৰ প্ৰাচুৰ্য আৰু মানুহৰ দৈন্য একেলগে ধৰা-ধৰিকৈ চলিছে। আধুনিক বিজ্ঞানৰ আৰু যন্ত্ৰ শিল্পৰ শক্তি যিমান সিমানখিনি আগুৱাই চলাৰ শক্তি যদি পুঁজিবাদৰ নাথাকে, তেন্তে তাৰ পৰিবৰ্ত্তে আৰু এটা এনে ব্যৱস্থা বাহিৰ কৰিব লাগিব, যি বিজ্ঞানৰ লগত ফেৰ মাৰি ফুৰিব পাৰিব। আৰু ইয়াকে যদি কৰিব নিবিচাৰে তেন্তে আৰু এটি মাত্ৰ কৰিব লগীয়া আছে, সেইটো হৈছে বিজ্ঞানক গলটিপি মাৰি পেলোৱা, তাক আৰু আগুৱাই যাব নিদিয়া। কিন্তু সেইটো কিছু মূৰ্খৰ দৰে কাম হব—সঁচাকৈয়ে সেই কথা আমি কৰিবলৈ যাম তাক ভবাটোও কঠিন।

অৰ্থনৈতিক জাতীয়তাবাদ, একচেটিয়া ব্যৱসায়ে আৰু দেশে দেশে প্ৰতিদ্বন্দ্বিতাৰ বৃদ্ধি আৰু কৰ যাব ধৰা পুঁজিবাদৰ আন আন বিৰোৰ অপসৃষ্টি এইবোৰৰ ফলত পৃথিৱীজুৰি বিশৃঙ্খলাই দেখা যাব, ইয়াত আচৰিত হবলগীয়া একোৱেই নাই। আধুনিক যুগৰ সমাজবাদো আচলতে এই পুঁজিবাদৰেই এটা ৰূপ; প্ৰত্যেক সম্ৰাজ্যবাদী দেশেই আন আন দেশক শোষণ কৰি তাত নিজৰ সমস্যাৰ সমাধান কৰিব বিচাৰিছে। ইয়াৰ ফলত আকৌ সৃষ্টি হৈছে এই সম্ৰাজ্যবাদী দেশবোৰৰ মাজত প্ৰতিদ্বন্দ্বিতা আৰু বিৰোধিতা। পৃথিৱীখনেই যেন কি ধৰণৰ ওলট-পালট হৈ গৈছে, ইয়াত সকলোৰেপৰাই কেৱল কাজিয়াৰ সৃষ্টি হয়।

এই চিঠিত আৰম্ভণিতে কই কৈছিলোঁ, যুদ্ধৰ পিছৰ কালছোৱাত টকাৰ বৰ অদ্ভুত আচৰণ দেখা গৈছে। কিন্তু পৃথিৱী জুৰি গোটেই বস্তুৱেই যেতিয়া অতি অদ্ভুত কিছুমান কাণ্ড কৰি ফুৰিছে তাত টকাক বাৰু দোষ দিওঁ কি বুলি?

১৭৪

ক্রিয়া আৰু প্ৰতিক্রিয়া

১৮ জুন, ১৯৩৩

আগৰ দুখন চিঠিত মই অৰ্থনীতি আৰু মুদ্ৰানীতি লৈ আলোচনা কৰিছোঁ। দুয়োটাই ৰহস্যময় আৰু দুৰ্বোধ্য বিষয় বুলি জনসাধাৰণৰ ধাৰণা। বৰ যে সহজ নহয় সেইটো ঠিক, বুজিবলৈ হলে অলপ ভাল দৰে ভাবিব লাগে। তথাপি সেই বুলি বৰ ভয়ঙ্কৰ কিবা এটা যে সিও নহয়—এই বিষয়বোৰৰ চাৰিওফালে যি ৰহস্যৰ আৱৰণ দি ৰখা হৈছে, তাৰ কিছু হৈছে অৰ্থনীতিবিদ আৰু বিশেষজ্ঞৰ সৃষ্টি। পুৰণি কালত ৰহস্যৰ কথাত একচেটিয়া অধিকাৰ আছিল পুৰোহিত-বিলাকৰ নানা ধৰণৰ আচাৰ অনুষ্ঠান আদিৰ সহায়ত এওঁলোকে অজ্ঞ জন-সাধাৰণক নিজৰ ইচ্ছামতে চলাই ফুৰিছিল, বহু সময়তে কোনেও নুবুজা এনে এটি পুৰণি ভাষাত অনবৰত উচ্চাৰণ কৰিছিল, এনে ভাব দেখুৱায় যেন নেদেখা দেৱতা-সকলৰ লগত তেওঁলোকৰ কথাবাৰ্ত্তা, কাম-কাজ চলিছে। আজিৰ দিনত পুৰোহিত-সকলৰ তেনে প্ৰতিপত্তি নাই, শিল্প প্ৰধান দেশতো এওঁলোকৰ প্ৰতিপত্তি প্ৰায় লোপ পায়েই গৈছে। পুৰোহিতসকলৰ ঠাই দখল কৰিছে, এতিয়া অৰ্থনীতি-বিদসকলে, বেঙ্কৰ মালিকসকলে,—এওঁলোকে ৰহস্যভৰা ভাষাত কথা কয়—সেই ভাষা প্ৰায় সংকেতিক কথাৰে পৰিপূৰ্ণ সাধাৰণ মানুহে তাৰ একো নুবুজে। এতেকে এইবোৰ সমস্যাৰ সমাধানৰ ভাৰ সাধাৰণ মানুহে বিশেষজ্ঞসকলৰ হাততেই এৰি দিব বাধ্য হয়। কিন্তু এই বিশেষজ্ঞসকলে আকৌ বহুত সময়ত জানিয়ে হওঁক বা নাজানিয়ে হওঁক, শাসক শ্ৰেণীৰ হাতত সোমাই পৰে, তেওঁলোকৰ যি কৰিলে লাভ হয় সেই কথাকে কৈ ফুৰে। বিশেষজ্ঞসকলৰ আকৌ পৰস্পৰৰ ভিতৰত মতৰ মিলো নাথাকে।

ইকালে আকৌ, ৰাজনীতি অথবা আন সকলো কথাই আজিকালি চলিছে অৰ্থনীতিক কেন্দ্ৰ কৰি। সেয়ে অৰ্থনীতিৰ এই তত্ত্ববিলাক আমি সকলোৱে অলপ অচৰপ জনাটো ভাল। মানুহৰ ভিতৰত দল আৰু শ্ৰেণী ভাগ কৰিবৰ নানান উপায় আছে। এটা হৈছে মানুহ জাতিক দুটি শ্ৰেণীত ভগোৱা, তাৰে এদল ঠিক তৃণৰ দৰে, নিজৰ ইচ্ছা বা সংকল্প বুলিবলৈ তেওঁলোকৰ একো নাই। সোঁতৰ মুখত ইহঁতে ই পাচৰপৰা সিপাচলৈ ঠেকা খাই ঘূৰি ফুৰে। আনটো দল তেনে নহয়, জীৱন যাত্ৰাৰ গতি নিৰ্ণয় তেওঁলোকে নিজৰ ইচ্ছামতে কৰিব বিচাৰে, চাৰিওফালৰ পৰিবেশক নিজৰ ইচ্ছামতে গঢ়ি লব বিচাৰে। জ্ঞান আৰু বুদ্ধি



য়ুৰোপত ফৰাচী প্ৰভাৱ
ছোভিয়েট ৰাছিয়া
পোলেণ্ড
ৰুমানিয়া
বুলগেৰিয়া
যুগোশ্লাভিয়া
চেকোশ্লোভাকিয়া
ভিয়েনা
অষ্ট্ৰিয়া
বাৰ্লিন
জাৰ্মানী
ৰোম
লণ্ডন

নেথাকিলে এই দ্বিতীয় শ্ৰেণীটোৰ অলপো নচলে, কাৰণ একমাত্ৰ জ্ঞান আৰু বুদ্ধি থাকিলেহে মানুহে নিজৰ ইচ্ছামতে কাম কৰি লব পাৰে। কেৱল সদইচ্ছা বা উচ্চ আশাৰে সকলো কাম নহয়। কঁৰবাত যেতিয়া একোটা প্ৰাকৃতিক দুৰ্যোগ ঘটে বা মহামাৰী লাগে বা অনাবৃষ্টি হয়, বা প্ৰায় যিকোনো ধৰণৰেই বিপদ উপস্থিতি হয়, তেতিয়া কেৱল ভাৰতবৰ্ষতেই নহয়, য়ুৰোপতো দেখা যায় জনসাধাৰণে সেই বিপদৰপৰা মুক্তি পাবৰ কাৰণে প্ৰাণপণে প্ৰাৰ্থনা কৰিবলৈ ধৰে। প্ৰাৰ্থনা কৰি যদি মনত শান্তি পায়, মনলৈ যদি বিশ্বাস বা সাহস আহে, তেন্তে সেই প্ৰাৰ্থনা বৰ ভাল কথা, তাত কাৰো আপত্তি কৰিবলৈ কাৰণ নাথাকে। কিন্তু কেৱল প্ৰাৰ্থনাৰ বলতে মহামাৰি বা ব্যাধিৰ আক্ৰমণ কমি যাব, এই ধাৰণা এতিয়া আৰু মানুহৰ নাই; ইয়াৰ ঠাইত বৈজ্ঞানিক জ্ঞানে ঠাই লৈছে, বেমাৰৰ মূল কাৰণ উচ্ছেদ কৰি পেলাব লাগিব, স্বাস্থ্যৰ নিয়ম পালন, আৰু আন আন উপায়ৰে। কাৰখানাৰ একোটা কল হঠাৎ ভাঙি যায়, মটৰ গাড়ীৰ টায়াৰ হঠাৎ ফুটি যায়, কিন্তু সেইবুলি কোনে কঁত শুনিছে, মানুহে তেতিয়া কেৱল মনে মনে বহি থাকে, বহি বহি কেৱল আশা কৰে বা কামনা কৰে বা ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰে, সেই ভঙা কল নিজে নিজে ভাল হৈ যাওঁক, বা সেই চকাখিৰ ফুটা নিজে নিজে জোৰা খাওক? সেইটোতো তেওঁলোকে নকৰে, তেওঁলোক লৰা-লৰিকৈ কামত লাগি যায়, কল, টায়াৰ মেৰামত কৰি পেলায়। তাৰ পিছত আকৌ সেই কল চলিব ধৰে, সেই গাড়ী আলিয়েদি সুন্দৰভাৱে লৰি গুচি যায়।

মানুহ আৰু সমাজৰ এই যে জীৱন যাত্ৰাৰ কল, ইয়াৰ ক্ষেত্ৰতো একে কাম, ইয়াতো কেৱল সৎ সঙ্কল্পৰে কাম নহয়; তাৰ উপৰিও আৱশ্যক হয় জ্ঞানৰ— সেই কল কি ধৰণে চলে, তাৰে কি হয় সেই সম্বন্ধে জ্ঞান। এই জ্ঞান কেতিয়াও ঠিক নিৰ্ভুল নহয়, তাৰ কাৰণ ইয়াৰ কাৰবাৰেই হৈছে মানুহৰ ইচ্ছা, কামনা, সংস্কাৰ, প্ৰয়োজন, আদি কিছুমান অনিশ্চিত কথা লৈ। যতে আমি আলোচনা কৰিব যাওঁ, তাতেই এইবোৰ আৰু বেছি অনিশ্চিত হৈ পৰে। তথাপি অধ্যয়ন অভিজ্ঞতা আৰু তীক্ষ্ণ দৃষ্টিৰ ফলত ক্ৰমে এই অনিশ্চিত তত্ত্ববোৰৰ মাজতো শৃঙ্খলাৰ সন্ধান পোৱা যায়। মানুহৰ জ্ঞান ক্ৰমে বাঢ়ি যায়, তাৰ লগে লগে বাঢ়ি আহে আমাৰ শক্তি—পৰিবেশক নিজ ইচ্ছামতে নিয়ন্ত্ৰণ কৰাৰ শক্তি।

যুদ্ধৰ যুগৰ সময়ছোৱাত য়ুৰোপৰ ৰাজনৈতিক জীৱন কোন বাটেৰে গৈছে, এইবাৰ মই তোমাক সেই সম্বন্ধে কিছু কথা কম। প্ৰথমতে যি কথাটো মনত পৰে, সেইটো হৈছে গোটেই মহাদেশখনকে তিনিটা অংশত ভাগ কৰি পেলোৱা হৈছে, যুদ্ধত বিজেতা পক্ষ, বিজিত পক্ষ, আৰু চোভিয়েট ৰাছিয়া। নৰৱে, চুইডেন, হলেণ্ড, চুইজাৰলেণ্ড, আদি কেইখনমান, সৰু সৰু দেশ অৱশ্যে আছিল, যিবোৰ এই তিনিটা ভাগৰ এটাতো নপৰে। কিন্তু দেশ হিচাপে এইবোৰ বৰ সৰু বৃহত্তৰ ৰাজনীতিৰ ফালৰপৰা এইবোৰৰ তেনে কোনো গুৰুত্ব নাছিল। চোভিয়েট ৰাছিয়াই স্বভাৱতে ইয়াৰ শ্ৰমিকৰে পৰিচালিত চৰকাৰ লৈ নিজৰ মহিমাৰে অকলে মূৰ তুলি থিয় হৈ থাকিল। তাকে দেখি বিজেতা জাতিসমূহে সকলো সময়তে

বিধ্বস্ত হৈ অৰ্দ্ধদগ্ধ হৈ অলি পুৰি মৰিল। এওঁলোকৰ এই গাৰ পোৰণিৰ এটা কাৰণ হল ৰুচিয়াৰ অভিনৱ শাসন-প্ৰণালী, আন আন দেশৰ শ্ৰমিকসকলেও তাৰ উদাহৰণ দেখি বিপ্লৱ ঘটাবলৈ অনুপ্ৰেৰণা পাব। তথাপি গাৰ পোৰণি সেইটোৱেই একমাত্ৰ কাৰণ নাছিল। প্ৰাচ্য দেশত বহুতো ঘটনা ঘটোৱাত বেয়া মতলব বিজেতা দেশবোৰৰত আছিল, ৰুচিয়াৰ এনে আবিৰ্ভাৱ দেখি, ইয়াৰ বহুততে বাধা পৰিল, গাৰ পোৰণিৰ সিও এটা কাৰণ। ১৯১৯ আৰু ১৯২০ চনত সিবোৰ যুদ্ধ হ'ল, তাৰ কথা মই তোমাক আগতে কৈছো, এই বিজেতা দেশসমূহৰ প্ৰায় সকলোৱেই তেতিয়া চোভিয়েটবোৰক বিচূৰ্ণ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু এওঁলোকৰ আক্ৰমণ সহ্য কৰিও চোভিয়েট ৰুচিয়া জীয়াই থাকিল, য়ুৰোপৰ সাম্ৰাজ্যবাদী দেশবোৰে বাধ্য হৈ তাৰ অস্তিত্ব সহ্য কৰি চলিবলগীয়া হল,—কিন্তু সেইটো সহ্য কৰিলে বৰ দুখেৰে আৰু বিষণ্ণ মনেৰে। বিশেষকৈ ইংলেণ্ডে। ইংলেণ্ডৰ লগত ৰুচিয়াৰ অৰিয়া-অৰি সেই জাৰসকলৰ আমোলৰপৰাই চলি আহিছে, সেই অৰিয়া-অৰি সমানেই থাকিল, সুবিধা পালেই এনেবোৰ ঘটনা আৰু আতঙ্কৰ সৃষ্টি কৰিব ধৰিলে যে জনসাধাৰণে ভাবিলে যে এই যুদ্ধ লাগেহে। চোভিয়েট সকলে ভালদৰেই জানিছিল, ইংলেণ্ডে সকলো সময়তেই তেওঁলোকৰ বিৰুদ্ধে চক্ৰান্ত চলাইছে, য়ুৰোপত চোভিয়েট বিৰোধী জাতিসমূহৰ এটা দল পকাবলৈ চেষ্টা কৰিছে। কেইবাৰমান এই দুয়ো দেশৰ ভিতৰত যুদ্ধৰ বিভীষিকাই দেখা দিলে।

পশ্চিম আৰু মধ্য- য়ুৰোপৰ বিজেতা আৰু জাতিসমূহৰ ভিতৰত পাৰ্থক্য বৰ বেছি স্পষ্ট হৈ উঠিল, বিজয়ীৰ মনোভাৱ বিশেষকৈ দেখা দিলে ফ্ৰান্সৰ ভিতৰত। সন্ধি পত্ৰত যিবোৰ চৰ্ত্ত দিয়া হৈছিল, তাৰ ভিতৰত বহুতো প্ৰকৃততে বিজিত জাতিসমূহৰ মনঃপুত হোৱা নাছিল। প্ৰতিকাৰ বুলি কিবা কৰিবলৈ ক্ষমতা তেওঁলোকৰ নাছিল, তথাপি ভৱিষ্যত এদিন হয়তো অৱস্থাৰ সলনি হব, এই সপোনকে তেওঁলোকে দেখিছিল। অষ্ট্ৰীয়া আৰু হাঙ্গেৰী তেতিয়া প্ৰায় মৰো মৰো, তেওঁলোকৰ অৱস্থা আৰু বেয়া হৈ পৰিছে। ইকালে চাভিয়াক কুকাই কুকাই ডাঙৰ কৰি যুগোশ্লাভিয়া ৰাজ্য গঠন কৰা হৈছিল, সেইখন হল নানা ধৰণৰ মানুহৰ এখন সানমিহলি ঠাই। দুদিন নৌৱাওতেই তাৰ ভিতৰত বেলেগ বেলেগ অংশসমূহৰ পৰস্পৰৰ ওপৰত বিৰক্ত হৈ উঠিল; নিজ নিজ মতে বেলেগ হৈ নিজৰ উন্নতিৰ কাৰণে এওঁলোক উদগ্ৰীৱ হৈ পৰিল। বিশেষকৈ ক্ৰোৱাচিয়াৰ (এইখন এতিয়া যুগোশ্লাভিয়াৰ এখন প্ৰদেশত পৰিণত হৈছে) এটি বলিষ্ঠ স্বাধীনতাৰ আন্দোলন চলিলে, চাভিয়া চৰকাৰে বেচ কঠোৰ হাতেৰেই সেই আন্দোলন দমাই ৰাখিছে। পোলেণ্ড এতিয়া দস্তৰমতে এখন ডাঙৰ দেশ, তথাপি ইয়াৰ সাম্ৰাজ্যবাদী নেতাসকলে দিগ্বিজয়ৰ সুন্দৰ সপোন দেখিছে। ১৭৭২ চনত পুৰণি পোলেণ্ড ৰাজ্যৰ সীমা দক্ষিণলৈ কৃষ্ণসাগৰৰ পাৰলৈকে, বিয়পি আছিল। এতিয়া সেইবোৰ এলেকা আকৌ দখল কৰি পুৰণি কালৰ সেই লুপ্ত গৌৰৱ ঘিৰাই আনিব এয়ে তেওঁলোকৰ সপোন। ইকালে ৰুচিয়াৰ অন্তৰ্গত ইউক্ৰেন প্ৰদেশৰ এটি অংশক পোলেণ্ডৰ অন্তৰ্গত কৰি দিয়া হৈছে, আত প্ৰজাসকলৰ ওপৰত নিৰ্য্যাতন, মৃত্যুদণ্ড, আৰু বহুতো বৰ্বৰোচিত শাস্তিৰে ত্ৰাসৰ সৃষ্টি কৰিয়েই দেশখন শান্ত কৰাৰ চেষ্টা

কৰা হৈছে এতিয়াও হৈ আছে। পূব য়ুৰোপৰ ঠায়ে ঠায়ে বহুতো সৰু সৰু অগ্নিকুণ্ড উমি উমি জ্বলিছে, ই হৈছে তাৰেই প্ৰমাণ। ক্ষুদ্ৰ হলেও এই অগ্নিকুণ্ডবোৰ অৱহেলাৰ বিষয় নহয়, কাৰণ ইয়াৰ জুয়ে ডাঙৰ ক্ষেত্ৰতো বিয়পি পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে।

ৰাজনীতি আৰু বাস্তৱতাৰ কালৰপৰা যুদ্ধৰ পিছৰ কেইটামান বছৰ ফ্ৰান্সেই আছিল য়ুৰোপৰ ভিতৰত আটাইতকৈ প্ৰতিপত্তিশালী দেশ। ইয়াৰ যি ইচ্ছা আছিল তাৰ প্ৰায় সকলোখিনিকে পাইছিল। বহুতো ঠাই পাইছে, যুদ্ধৰ ক্ষতি-পূৰণৰো অন্ততঃ আশ্বাস পাইছে, কিন্তু তথাপি ইয়াৰ মন প্ৰফুল্লিত হোৱা নাছিল। এটি বিৰাট ভয়ে ইয়াৰ অন্তৰত ক্ৰিয়া কৰিছিল, ই হৈছে জাৰ্মাণী হয়তো আকৌ শক্তিশালী হৈ উঠিব, আকৌ ইয়াৰ লগত যুদ্ধ কৰিব, হয়তো ইয়াৰ লগত যুদ্ধ কৰিব, হয়তো ইয়াক হৰম্বাই দিব। জাৰ্মাণীৰ লোক সংখ্যা ফ্ৰান্সতকৈ বহুতো বেচি; এইটোৱেই হৈছে, ফ্ৰান্সৰ ভয়ৰ প্ৰধান কাৰণ। আয়তনত আচলতে ফ্ৰান্স জাৰ্মাণীতকৈ ডাঙৰ, ইয়াৰ মাটিও বৰ উৰ্বৰা। তথাপি কিন্তু ফ্ৰান্সৰ লোকসংখ্যা চাৰিকোটি দশ লাখৰো কম, আৰু সেই সংখ্যা বিশেষ বঢ়াও নাই। জাৰ্মাণীৰ লোকসংখ্যা ছয় কোটি দশ লাখৰো বেছি, সেই সংখ্যাক দিনে দিনে বাঢ়িব ধৰিছে। তাৰ উপৰিও অস্ত্ৰ আৰু যুদ্ধকুশল জাতি স্বৰূপে জাৰ্মাণীৰ খ্যাতি আছে, মনত পৰাৰ কালৰ ভিতৰতে দুবাৰো ই ফ্ৰান্সক আক্ৰমণ কৰিছে।

এতেকে জাৰ্মাণীয়ে কিজানি ইয়াৰ ওপৰত প্ৰতিশোধ লয় এই ভয়তে ফ্ৰান্স বিহ্বল হৈ পৰিল, ইয়াৰ গোটেই কূটনীতিৰ ভেটি আৰু মূল কথাই হৈ পৰিল 'নিৰাপত্তাৰ বিধান' অৰ্থাৎ ফ্ৰান্সে যি পাইছে, সেইটো দখল আৰু ভোগ কৰাৰ ব্যৱস্থাটো অক্ষুণ্ণ ৰখাৰ প্ৰয়াস। আন দেশবোৰৰ তুলনাত ফ্ৰান্সৰ সামৰিক শক্তি বেচি, ভাৰ্চাইলচ্ সন্ধিৰ চৰ্ত্ত দেখি যিবোৰ দেশ ক্ষুণ্ণ হৈছিল, ফ্ৰান্সৰ সামৰিক শক্তিৰ হেঁচাত সেইবোৰক তেতিয়া কৰি ৰখা হৈছিল। কাৰণ ফ্ৰান্সৰ নিৰাপত্তাৰ কাৰণে সেই সন্ধিটো বজাই ৰখাৰ প্ৰয়োজন। ইয়াৰ শক্তি আৰু দৃঢ় কৰিবৰ কাৰণে ফ্ৰান্সে এটি দলো গঢ়ি তুলিলে,—ভাৰ্চাইলচ সন্ধি বজাই ৰাখিবলৈ যিসকলৰ স্বাৰ্থ আছে, এনে ধৰণৰ সকলো দেশকে লৈ এটা দল গঠিত কৰা হ'ল। এই দেশবোৰ হৈছে, বেলজিয়াম, পোলেণ্ড, চেকোশ্লাভিয়া, ৰুমেনিয়া আৰু যুগোশ্লাভিয়া।

এই ধৰণে ফ্ৰান্সে য়ুৰোপত তাৰ অধ্যক্ষতা বা নেতৃত্ব প্ৰতিষ্ঠিত কৰিলে। ইংলেণ্ডৰ এইটো মনঃপুত নহল, নিজৰ বাহিৰে অন্য কোনো দেশে য়ুৰোপত শক্তি-শালী হৈ উঠিব, এইটো ইংলেণ্ডৰ ইচ্ছা নহয়। মিত্ৰ-ৰাজ্য ফ্ৰান্সৰ প্ৰতি ইংলেণ্ডৰ যি দাৰুণ প্ৰীতি আৰু বন্ধুত্ব আছিল তাৰ বহুখিনি উৰি গ'ল। ইংলেণ্ডৰ বাতৰি কাগজত ফ্ৰান্সক স্বাৰ্থপৰ, নিৰ্দয় বুলি অভিহিত কৰিলে। তাৰ লগে লগে পুৰণি শত্ৰু জাৰ্মাণীৰ সম্বন্ধেও বহুতো প্ৰীতি ভৰা উক্তি কৰিব ধৰিলে। ইংৰাজসকলে তেতিয়া কব ধৰিলে, পুৰণি শত্ৰুতা মনত ধৰি ৰখা উচিত নহয়, সেইটো পাহৰি পেলাব লাগে, ক্ষমা কৰিব লাগে, শান্তিৰ সময়তো অতীতৰ যুদ্ধৰ দিনৰ গোঁজৰণী লৈ চলা আমাৰ পক্ষে একেবাৰেই উচিত নহয়। বৰ সুন্দৰ কথা, ইংৰাজসকলৰ কালৰপৰা ইয়াক

একবাৰে দুগুণে সুন্দৰ বুলিব পাৰি, কাৰণ তেতিয়া এই কথাৰ দ্বাৰাই ইংৰাজ-সকলৰ কূটনীতি সিদ্ধি হোৱাৰ আশা। ৰাজনীতিৰ ক্ষেত্ৰত ইংলেণ্ডে য'তেই সুযোগ পায় বা বৃটিছ চৰকাৰে কূটনীতিৰ যি খেল খেলে, ইংলেণ্ডৰ প্ৰজাসকলেও শ্ৰেণী নির্বিশেষে তৎক্ষণাৎ অতি উচ্চ মনৰ নৈতিক যুক্তি দেখুৱাই সেইটো সমৰ্থন কৰে, কাউণ্ট স্ফোৰ্জা নামৰ ইটালীৰ এজন ৰাজনীতিবিদে এবাৰ কৈছিল, "ঈশ্বৰে নিজে এই এটা বহুমূলীয়া গুণেৰে বৃটিছ জাতিক বিভূষিত কৰিছে।"

১৯২২ চনৰ প্ৰথমৰ ভাগৰপৰাই ইংলেণ্ড আৰু ফ্ৰান্সৰ বিৰোধ আৰম্ভ হ'ল। য়ুৰোপৰ ৰাজনীতিৰ ক্ষেত্ৰত ই এটা স্থায়ী ঘটনা হৈ পৰিল। বাহিৰত এওঁ-লোকে মিঠা হাঁহিৰে কথা-বাৰ্তা কয়—অতি ভদ্ৰ ভাষাত আলোচনা কৰে, এওঁ-লোকৰ ৰাষ্ট্ৰনায়কসকলে আৰু প্ৰধানমন্ত্ৰীসকলে প্ৰায়েই পৰস্পৰৰ লগত সাক্ষাৎ কৰে, একেলগে ছবি তোলে, অথচ এই দুখন দেশৰ কৰ্তৃপক্ষই প্ৰায় সকলো সময়তেই ইজনে সিজনৰ ওলোটা ফালেদি চলিবলৈ চেষ্টা কৰে। ১৯২২ চনত জাৰ্মানীয়ে ক্ষতিপূৰণৰ টকা দিব নোৱাৰিলে, সেই অপৰাধত মিত্ৰপক্ষই ৰুঢ় উপ-ত্যকা দখল কৰি ললে। ইংলেণ্ড ইয়াক দখল কৰাৰ পক্ষপাতী নাছিল। কিন্তু ফ্ৰান্সে ইংলেণ্ডৰ আপত্তি অগ্ৰাহ্য কৰিয়েই নিজৰ ইচ্ছা পূৰণ কৰিলে। বৃটেনে কিন্তু ইয়াৰ সেই দখল কৰাৰ দাবীত কোনো অংশ গ্ৰহণ নকৰিলে।

তাৰ পিছত আৰু এটি পুৰণি মিত্ৰ জাতিৰ লগত ফ্ৰান্সৰ বিৰোধ হ'ল। দুয়ো দেশৰ মাজত সকলো সময়তে তৰ্কাতৰ্কি চলিব ধৰিলে। এই দেশখন হৈছে ইটালী। ইটালীত ১৯২২ চনত মুচলিনীয়ে শাসন ভাৰ হস্তগত কৰিলে, তেওঁৰ সাম্ৰাজ্য বিস্তাৰৰ কামনা আছিল, ফ্ৰান্সে তাত বাধা দিলে, ইয়াৰপৰাই বিৰোধৰ সূত্ৰপাত হ'ল। মুচলীনি আৰু তেওঁৰ ফেচিজিমৰ কথা মই তোমাক ইয়াৰ পিছৰ চিঠিত কম।

যুদ্ধৰ পিছৰ কালছোৱাত বৃটিছ সাম্ৰাজ্যৰ মাজতো ভাঙন ধৰাৰ কিছুমান লক্ষণ স্পষ্ট হৈ উঠিল। ইয়াৰ সম্বন্ধে কিছু আলোচনা মই আগৰ কেইখনমান চিঠিত কৰিলোঁ। ইয়াত কেৱল ইয়াৰ এটি বিশেষ বিষয়ৰ সম্বন্ধে কম। অষ্ট্ৰেলিয়া আৰু কানাডা, এই দুখন দেশেই আমেৰিকাৰ সংস্কৃতি আৰু অৰ্থনৈতিক প্ৰভাৱত গৈ পৰিছিল। জাপানীসকলৰ ওপৰত বিশেষকৈ জাপানৰপৰা এইবোৰ দেশত যি লোকে বসতি কৰিবলৈ আহিছে, তেওঁলোকক এওঁলোকৰ তিনিখন দেশেই সমানে ঘেৰা পাইছিল। বিশেষকৈ অষ্ট্ৰেলিয়া বিশেষ বিপদত পৰিছিল কিয়নো অষ্ট্ৰেলিয়াত বহুতো মাটি পৰি আছে, য'ত বসতি কৰিবৰ কাৰণে মানুহৰ অভাৱ, ইফালে জাপান তাৰপৰা বেচি দূৰত নহয়। তাত মানুহ ইমান বেচি হৈ গৈছে যে দেশত তেওঁলোকৰ ঠাই অকুলন হৈছে। জাপানৰ লগত ইংলেণ্ডে মিত্ৰতা স্থাপন কৰিছে, এই দুয়ো ডমিনিয়নৰ আৰু যুক্তৰাষ্ট্ৰৰ সেইটো মনঃপূত হোৱা নাই। মহাজন হিচাবে আৰু আজকালৰ পৰাও আমেৰিকা ইতিমধ্যে পৃথিৱীত প্ৰভাৱশালী হৈ পৰিছে, এতেকে ইংলেণ্ডে এতিয়া ইয়াক সুপ্ৰসন্ন কৰি ৰাখিব বিচাৰে। সাম্ৰাজ্যখনক যিমান দিন পাৰে বচাই ৰখাই তেওঁলোকৰ কাম্য। এতেকে ১৯২২ চনৰ ৱাচিংটন কনফাৰেন্সত তেওঁলোকে ইঙ্গ-জাপান মিত্ৰতা বিসৰ্জন দিলে। চীন

সম্বন্ধে লেখা মোৰ শেষৰ চিঠিখনত বই তোমাক এই কনফাৰেন্সৰ কথা কৈছোঁ—। ইয়াতে চাৰি শক্তিৰ চুক্তি আৰু 'নৱশক্তি' গঠিত কৰা হৈছিল। এই সন্ধিবোৰ হৈছিল চীন আৰু প্ৰশান্ত মহাসাগৰৰ ভীৰত থকা ঠাইবোৰৰ সম্বন্ধে। চোভিয়েট ৰুচিয়াৰ স্বাৰ্থ ইয়াৰ লগত বহুখিনি জড়িত, তথাপি কিন্তু ইয়াক এই সন্মিলনলৈ নিমন্ত্ৰণ কৰা নহ'ল, ৰুচিয়াই এই অৱহেলাৰ প্ৰতিবাদ জনালে—তথাপিও।

এই ৱাচিংটন কনফাৰেন্সতে প্ৰাচ্যজগতত ইংলেণ্ডে যি কূটনীতি ইমান দিনে প্ৰয়োগ কৰি আহিছে তাৰ এটা পৰিবৰ্তন দেখা গ'ল। ইমান দিন ধৰি ইংলেণ্ডে জাপানক বন্ধু বুলি ধৰিছিল; ই আশা কৰিছিল, সুদূৰ প্ৰাচ্যত বা ভাৰতবৰ্ষতো যদি ইয়াৰ কোনো বিপদ আহে সেই বিপদত জাপানে ইয়াক সহায় কৰিব। কিন্তু এতিয়া দেখা গ'ল পৃথিৱীৰ ৰাজনৈতিক জীৱনত সুদূৰ প্ৰাচ্য অঞ্চলে এটি বিশেষ স্থান অধিকাৰ কৰিছে, পৃথিৱীৰ বেলেগ বেলেগ দেশবোৰৰ মাজতো স্বাৰ্থৰ সংঘাত ঘটিছে। চীন প্ৰবল হৈ উঠিছে অন্ততঃ বাহিৰৰপৰা সেইটোকে অনুমান হয়, জাপান আৰু আমেৰিকাৰ মাজত শত্ৰুতা ক্ৰমে তীব্ৰ হৈ উঠিছে। বহুতৰে ধাৰণা আছিল, ইয়াৰ পিছত যি মহাযুদ্ধ হব, প্ৰশান্ত মহাসাগৰেই হব তাৰ প্ৰধান কেন্দ্ৰস্থল। জাপান আৰু আমেৰিকাৰ মাজত তেতিয়া এটি পক্ষ বাছি লবলগীয়াত পৰে, ইংলেণ্ডে জাপানক এৰি আমেৰিকাৰ দলত সোমালগৈ। অৱশ্যে সিও ঠিক নহয়—গটাঁকৈয়ে কৰ লাগিলে জাপানৰ পক্ষই পৰিত্যাগ কৰিলে। ইয়াৰ নীতি তেতিয়া হ'ল—আমেৰিকাৰ শক্তি বেছি, টকা বহুতো, এতেকে আমেৰিকাৰ লগত ই বন্ধুত্ব বজাই ৰাখিব, কিন্তু কাগজে পত্ৰে কোনো কথা কাকো নিদিব। জাপানৰ লগত মিত্ৰতা শেষ কৰি বৃটেনে এইবাৰ, দূৰ প্ৰাচ্যত যদি যুদ্ধ হয়—তাৰ বাবে প্ৰস্তুত হবলৈ আয়োজন কৰিলে। চিঙ্গাপুৰত অজস্ৰ টকা ভাঙি জাহাজ মেৰামতিৰ কাৰণে অতি প্ৰকাণ্ড প্ৰকাণ্ড 'ডক' ই তৈয়াৰ কৰিলে। এই ঠাই ডোখৰ ই নৌ-বাহিনীৰ এটি প্ৰকাণ্ড ঘাটিত পৰিণত কৰিলে। এই ঘাটিৰপৰা এতিয়া ই ভাৰত মহাসাগৰ আৰু প্ৰশান্ত মহাসাগৰৰ মাজত সকলো আহ-যাহৰ গতি নিয়ন্ত্ৰণ কৰিব পাৰে। একালে ভাৰতবৰ্ষ আৰু ব্ৰহ্মদেশ আনকালে ফৰাচী আৰু ডাচ উপনিবেশবোৰক ই এতিয়া আয়ত্তাধীন কৰি ৰাখিব পাৰিছে। সকলোতকৈ ডাঙৰ কথা এতিয়া যদি প্ৰশান্ত মহাসাগৰত যুদ্ধ হয়—সেই যুদ্ধত বৃটেনে বেচ ভাল কৰিয়েই যুদ্ধ দিব পাৰিব তেহেলৈ সেই যুদ্ধ জাপানৰ লগতেই হওক বা আন কাৰোবাৰ লগতেই হওক।

১৯২২ চনত ৱাচিংটনত ইঙ্গ-জাপানী মিত্ৰতা ভাঙি গল, ইয়াৰ ফলত, জাপান একেবাৰে অকলশৰীয়া হৈ পৰিল। বাধ্য হৈয়েই জাপানীসকলে ৰুচিয়াৰ ফালে চকু দিলে, চোভিয়েটৰ লগত তেওঁলোকে বন্ধুত্ব পাতিবলৈ চেষ্টা কৰিব ধৰিলে। তিনি বছৰৰ পিছত ১৯২৫ চনৰ জানুৱাৰী মাহত জাপান আৰু চোভিয়েট ইউনিয়নৰ ভিতৰত এটা সন্ধি হ'ল।

যুদ্ধৰ পিছত প্ৰথম কেইবছৰমান বিজয়ী জাতিবোৰে জাৰ্মানীক আচাৰ ব্যৱহাৰত প্ৰায় একঘৰীয়া কৰিয়েই ৰাখিলে। এওঁলোকৰপৰা বিশেষ ভাল ব্যৱহাৰ পোৱা নাই দেখি আৰু এওঁলোকক অলপমান ভয় দেখুৱাই দিয়াৰ উদ্দেশ্যে, জাৰ্মানীয়ে তেতিয়া চোভিয়েট ৰুচিয়াৰ ফালে চালে; ১৯২২ চনৰ এপ্ৰিল মাহত ৰুচিয়াৰ লগত যি সন্ধি স্থাপন কৰিলে। এই সন্ধিৰ নাম ৰাপালোৰ সন্ধি। এই সন্ধিৰ

সকলো উদ্যোগ আয়োজন গোপনেই কৰা হৈছিল, এতেকে সন্ধিৰ কথা যেতিয়া বাহিৰত প্ৰকাশ কৰা হ'ল, মিত্ৰপক্ষৰ চৰকাৰবোৰে এটা আকস্মিক ভয় খালে। বিশেষকৈ ইংলেণ্ডৰ শাসক শ্ৰেণী চোভিয়েট চৰকাৰৰ প্ৰতি ভীষণ ক্ৰোধান্বিত হৈ উঠিল। জাৰ্মাণীৰ লগত ভাল ব্যৱহাৰ নকৰিলে, ইয়াক প্ৰসন্ন কৰি ৰাখিব নোৱাৰিলে, ই হয়তো ৰুচিয়াৰ লগতে গৈ যোগ দিব ; প্ৰকৃতপক্ষে এই কথাটো হৃদয়ঙ্গম হোৱাৰ ফলতেই বৃটিছসকলে জাৰ্মাণীৰ প্ৰতি তেওঁলোকৰ নীতিৰ সলনি কৰিলে। জাৰ্মাণীৰ যিবোৰ অসুবিধা আৰু দুৰ্দশা সহিবলগীয়া হৈছিল, সেই-বোৰ অকস্মাৎ তেওঁলোকে বুজিব পাৰিলে আৰু ইয়াৰ লগত বন্ধুত্ব কৰিবলৈ নানা ৰকমে চেষ্টা কৰিলে, অৱশ্যে বে-চৰকাৰীভাৱে । ৰুঢ় দখল কৰা ঘটনাৰপৰাও তেওঁলোক আঁতৰি থাকিল। এইবোৰ অৱশ্যে তেওঁলোকে কৰিছিল, হঠাৎ ৰাতি-টোৰ ভিতৰতে তেওঁলোকে জাৰ্মাণীক বৰ ভাল পাব ধৰিলে বুলি নহয়, জাৰ্মাণীক তেওঁলোকে ৰুচিয়াৰপৰা দূৰত টানি ৰাখিবৰ কাৰণেহে, চোভিয়েট বিৰোধী জাতি-বোৰ দলত সুমুৱাই ৰখাৰ কাৰণেহে। কেইবছৰমান ধৰি এইটোৱেই হ'লগৈ বৃটেইনৰ কূটনীতিৰ মূলমন্ত্ৰ ; অৱশেষত ১৯২৫ চনত লোকাৰ্ণত তেওঁলোকৰ এই চেষ্টা সফল হল। লোকাৰ্ণত গোটেই দেশবোৰৰ ভিতৰত এখন সভা হ'ল, যুদ্ধৰ পিছত সেই প্ৰথম বাৰৰ কাৰণে বিজয়ী জাতিবোৰৰ আৰু জাৰ্মাণীৰ মাজত কিছুমান কথাত একমত হোৱা দেখা গ'ল—এই কথাবোৰ লৈ এখন সন্ধিপত্ৰ ৰচনা কৰা হ'ল। সকলো কথাতে অৱশ্যে সম্পূৰ্ণ মতৰ মিল হোৱা নাছিল ; ক্ষতিপূৰণৰ ডাঙৰ সমস্যাটোৱেই তাত মীমাংসা নহল, ইয়াৰ বাহিৰেও বহুতো প্ৰশ্ন মীমাংসা নোহোৱাকৈ থাকিল। তথাপি আৰম্ভটো ভালেই হ'ল বুলিব লাগিব। দুয়োপক্ষৰ মাজত আশ্বাসবাক্য আৰু প্ৰতিশ্ৰুতি বহুতো দিয়া দিয়ি হল। জাৰ্মাণীৰ পশ্চিমে অৰ্থাৎ ফ্ৰান্সৰ ফালে যি সীমাৰেখা ভাৰ্চাইলছ্ সন্ধিত নিৰ্দিষ্ট কৰি দিয়া হৈছিল, জাৰ্মাণীয়ে সেইটো স্বীকাৰ কৰি ললে। প্ৰাচ্যৰ সীমান্ত আৰু সমুদ্ৰলৈকে পোলিচ 'কৰিডৰ' সম্বন্ধে ভাৰ্চাইলছ্ সন্ধিৰ নিৰ্দেশকেই চৰম বুলি মানি লবলৈ ৰাজী নহল। তথাপি এই প্ৰতিশ্ৰুতি দিলে—সেই নিৰ্দেশ সলনি কৰাৰ কাৰণে যি চেষ্টা চলিব, সেইটো কেৱল শান্তিপূৰ্ণ উপায়েৰেহে কৰিব। প্ৰত্যেকেই প্ৰতিজ্ঞা কৰিলে, কোনো পক্ষই যদি এই যুদ্ধৰ চৰ্ত্ত ভাঙে, তেন্তে আনবোৰ দেশ এক হৈ ইয়াৰ লগত যুদ্ধ ঘোষণা কৰিব।

লোকাৰ্ণ সান্ধ বৃটিছ কূটনীতিৰ জয়ৰ নিদৰ্শন। এই সন্ধিৰ ফলত বৃটেনৰ মৰ্য্যাদা বাঢ়ি গ'ল, ফ্ৰান্স আৰু জাৰ্মাণীৰ মাজত বিৰোধ হ'লে বৃটেনে তাৰ বিচাৰ কৰিব, তাৰে কিছু ব্যৱস্থা ইয়াত হ'ল। জাৰ্মাণীকো ইয়াত ৰুচিয়াৰ ওচৰৰপৰা বিচ্ছিন্ন কৰি অনা হ'ল। লোকাৰ্ণ সন্ধিৰ আটাইতকৈ ডাঙৰ কথা প্ৰকৃতপক্ষে আছিল ইয়েই। ইয়াৰ ফলত পশ্চিম য়ুৰোপৰ জাতিবোৰ এক হৈ এটি চোভিয়েট বিৰোধী দলত পৰিণত হ'ল। ৰুচিয়াই ভয় খালে, কেইমাহমান পিছতে ইয়োএটা প্ৰত্যুত্তৰ জনালে তুৰস্কৰ লগত মিত্ৰতা স্থাপন কৰি। ৰুচিয়া আৰু তুৰস্কৰ লগত এই সন্ধিপত্ৰ স্বাক্ষৰ কৰা হল, ১৯২৫ চনৰ ডিচেম্বৰ মাহত লীগ-অব্-নেচন্‌ছ মছুলৰ বিপক্ষে সিদ্ধান্ত প্ৰকাশ কৰাৰ ঠিক দুইদিন পিছত। তোমাৰ মনত থাকিব পাৰে, লীগৰ এই সিদ্ধান্তটো হৈছিল তুৰস্কৰ বিৰুদ্ধে। ১৯২৬ চনৰ চেপ্তেম্বৰ

মাহত জাৰ্মাণী লীগ-অব্ নেচন্‌চত সোমাল, বৰ এটি হুলিগলি আৰু কৰতালিৰ মাজেৰি উঠিল, লীগৰ ভিতৰত যিসকল আছিল সকলোৱে মিঠা হাঁহি মাৰিলে, আৰু সকলোৱে যথেষ্ট প্ৰশংসা বাক্য শুনাই আপ্যায়িত কৰিলে।

এনেদৰেই য়ুৰোপৰ জাতিসমূহৰ ভিতৰত ডবাখেলৰ চাল চলিব ধৰিলে, বহু সময়ত আকৌ এওঁলোকৰ আভ্যন্তৰীণ নীতিৰ ক্ষেত্ৰতো এই চালৰ ওপৰত পৰিব ধৰিলে। ১৯২৩ চনৰ ডিচেম্বৰ মাহত ইংলেণ্ডত এটি সাধাৰণ নিৰ্বাচন হয়। নিৰ্বাচনত ৰক্ষণশীল দল হাৰিল। পাৰ্লিয়ামেণ্টত যি শ্ৰমিক দল আছিল তেওঁলোক সংখ্যাত সৱলোতকৈ বেছি নহয়। তথাপি তেওঁলোকেই মন্ত্ৰীসভা গঠন কৰিলে—শ্ৰমিক দলৰ ইতিহাসত ই প্ৰথম কথা। প্ৰধান মন্ত্ৰী হ'ল ৰামজে মেগডনাল্ড। এই মন্ত্ৰীসভা কেৱল চাৰে ন মাহৰ কাৰণে বৰ্তি আছিল। কিন্তু সেই অলপ দিনৰ ভিতৰতেই এই মন্ত্ৰীসভাই চোভিয়েট ৰুচিয়াৰ লগত এটা বুজা-পৰাত আহিল, দুয়ো দেশৰ মাজত কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক স্থাপিত হ'ল। ৰক্ষণশীল দল চোভিয়েটসকলক কোনো ৰকমৰ স্বীকৃতি দিয়াৰ পক্ষপাতী নাছিল, এবছৰৰ ভিতৰতে আকৌ নতুন নিৰ্বাচন হ'ল। সেই নিৰ্বাচনত ৰুচিয়াৰ কথা-টোৱেই প্ৰধানভাৱে দেখা দিলে। তাৰ কাৰণ ৰক্ষণশীল দলে এই নিৰ্বাচনৰ সময়ত এখন চিঠি প্ৰকাশ কৰিলে, সেইটোৱেই হ'ল তেওঁলোকৰ পাশুপত। এই চিঠিখনৰ নাম জিনোভিয়াৰৰ চিঠি। ইয়াত বিপ্লৱ ঘটোৱাৰ উদ্দেশ্যে গুপুত কাৰ্য-কলাপ চলোৱাৰ কাৰণে ইংলেণ্ডৰ কমিউনিষ্টসকলৰ প্ৰতি নিৰ্দেশ দিয়া হৈছিল। জিনোভিয়াৰ আছিল চোভিয়েট চৰকাৰৰ অন্তৰ্ভুক্ত এজন নেতৃস্থানীয় বলচেভিক। তেওঁ এই চিঠি লেখাৰ কথা সম্পূৰ্ণ মিছা বুলি ঘোষণা কৰিলে; ফলে—এইখন নিশ্চয় জাল চিঠি। কিন্তু ইংলেণ্ডৰ ৰক্ষণশীল দলে তথাপিও এই চিঠিখন লৈ যিমান পাৰে হৈ-চৈ কৰিলে, বহুদূৰ ইয়াৰ সহায়তে তেওঁলোকে নিৰ্বাচনত জয়লাভ কৰিলে। এইবাৰ ৰক্ষণশীল দলেই মন্ত্ৰীসভা দখল কৰিলে, তাৰ প্ৰধান মন্ত্ৰী হ'ল ষ্টেনলী বল্ডুইন। এই চৰকাৰক বাৰে বাৰে কোৱা হ'ল, 'জিনোভিয়াৰ চিঠিখন' আচলতে সঁচা নে মিছা সেই সম্বন্ধে তদন্ত কৰা হওক। কিন্তু চৰকাৰে সেই তদন্ত কৰিবলৈ অস্বীকাৰ কৰিলে। ইয়াৰ কিছুদিন পিছত বাৰ্লিনত কিছুমান ৰহস্য উদ্‌ঘাটন হ'ল, তাৰপৰা জনা গ'ল যে চিঠিখন সঁচাকৈয়ে জাল—ইয়াৰ মূলতে আছিল এজন 'শ্বেত' ৰুচিয়ান—মানে দেশৰপৰা পলাই অহা বলচেভিক বিৰোধী ৰুচিয়ান। তথাপি ইংলেণ্ডত এই চিঠিখনে তাৰ কাম সম্পূৰ্ণ কৰিলে; এটি চৰকাৰক উচ্ছেদ কৰি তাৰ ঠাইত আৰু এটা চৰকাৰ প্ৰতিষ্ঠা কৰিছিল। এনে ধৰণৰ সামান্য বস্তুৰেই আন্তৰ্জাতিক ৰাজনীতিৰ তাণ্ডৱ তাণ্ডৱ ঘটনা ঘটোৱা হয়।

সেই বছৰেই শেষৰ ফালে আকৌ এটা ঘটনা ঘটিল, তাৰ ফলত বৃটিছ চৰকাৰ বৰ ক্ৰোধান্বিত হৈ উঠিল। এইবাৰৰ ঘটনাটো ঘটিছিল সুদূৰ প্ৰাচ্য অঞ্চলত। চীনত হঠাৎ এটি শক্তিশালী মিলিত জাতীয় চৰকাৰৰ আৱিৰ্ভাৱ হ'ল। ইয়াৰ ধৰণ দেখি মনত হ'ল চোভিয়েট সকলৰ লগত এই চৰকাৰৰ বিশেষ বন্ধুত্ব আছিল। বহুমাহ ধৰি চীনত বৃটিছসকলৰ অতিশয় বিপদৰ মাজত কটাব লগীয়া হ'ল। বহু অপমান, লাঞ্চনা সহ্য কৰিবলগীয়া হ'ল। তেওঁলোকৰ মনঃপুত নোহোৱা বহুত কামেই কৰিবলগীয়া হ'ল। তাৰ পিছত অলপ দিন মাত্ৰ জীয়াই

থাকি চীনাসকলৰ সেই আন্দোলন খান বান হৈ গ'ল। আন্দোলনৰ প্ৰগতিপন্থী যিসকল আছিল, সেনাপতিসকলে তেওঁলোকক নিহত কৰিলে আৰু খেদি-খেদি দিলে। এওঁলোকৰ সকলো চাংহাইত যি বিদেশী মহাজনসকল আছিল তেওঁলোকৰ আশ্ৰয় ললেগৈ। আন্তৰ্জাতিক কূটনীতিৰ খেলত ৰুচিয়াৰ এইটো ডাঙৰ পৰাজয় ঘটিল। চীনৰ আৰু আন আন দেশৰ চকুত ইয়াৰ মান মৰ্যাদা বহুতো কমি গ'ল। ইংলেণ্ডৰ পক্ষে এইটো এক প্ৰকাৰ ৰণজয়ৰ স্বৰূপ হ'ল। চোভিয়েটৰ পৰাজয় তেওঁলোকে আৰু চকুত পৰা কৰিবলৈ বিচাৰিলে, তাকে কৰিব পাৰিলেই তেওঁলোকৰ আৰু সুবিধা হয়। চোভিয়েট বিৰোধীসকলৰ দলটো আকৌ গঢ়ি তুলিলে, চাৰিও ফালৰপৰা এওঁলোকে ৰুচিয়াক আগুৰি পেলাবলৈ চেষ্টা কৰিলে।

১৯২৭ চনৰ মাজ ভাগত পৃথিৱীৰ বহু ঠাইত চোভিয়েটৰ বিৰুদ্ধে অভিযান আৰম্ভ হ'ল। ১৯২৭ চনৰ এপ্ৰিল মাহত একে দিনাই পিকিঙৰ চোভিয়েট দূতাবাসত আৰু চাংহাইৰ চোভিয়েট কনচালৰ অফিচত খানাতালাচ কৰা হ'ল। এই দুয়ো ঠাইত বেলেগ দুটা চীন চৰকাৰ প্ৰতিষ্ঠিত আছিল। কিন্তু এই ঘটনাত এওঁলোক এক হৈ কাম কৰিলে। দূতাবাস খানাতালাচ কৰা বা বিদেশী দূতক অপমান কৰা এটা অতিশয় অস্বাভাৱিক কথা। ইয়াৰ ফলত যুদ্ধ অৱশ্যম্ভাৱী। ৰুচিয়াৰ দৃঢ় বিশ্বাস আছিল, এই কাম আচলতে চীনা চৰকাৰৰ নহয়, ইংলেণ্ড আৰু আন আন চোভিয়েট বিৰোধীসকলে তেওঁলোকৰ হতুৱাই এই কাম কৰাইছে। ৰুচিয়াক যুদ্ধত নামিবলৈ বাধ্য কৰাই তেওঁলোকৰ ইচ্ছা। কিন্তু সি ব্যৰ্থ হ'ল; ৰুচিয়াই যুদ্ধ নকৰিলে। ইয়াৰ এমাহ পিছতে ১৯২৭ চনৰ মে' মাহত ৰুচিয়াৰ বাণিজ্য দপ্তৰ সমূহত অদ্ভুত ৰকমৰ খানাতালাচ কৰা হ'ল, এইবাৰ হ'ল লণ্ডনত। ইয়াৰ নাম 'আৰ্কচৰ' খানাতালাচ—কাৰণ ইংলেণ্ডত ৰুচিয়াৰ যি চৰকাৰী বাণিজ্য প্ৰতিষ্ঠান আছিল, তাৰ নাম আছিল ''আৰ্কচ'। ইয়াৰ ফলত লগে লগেই ৰুচিয়া আৰু ইংলেণ্ডৰ মাজত যিমান কূটনীতি আৰু বাণিজ্য বিষয়ৰ সম্পৰ্ক আছিল সকলো ছিন্ন ভিন্ন হৈ গ'ল। ইয়াৰ পিছৰ মাহতে অৰ্থাৎ জুন মাহত পোলেণ্ডত থকা চোভিয়েট মন্ত্ৰীক ওৱাৰ্চত গুপ্ত হত্যা কৰা হ'ল। (ইয়াৰ চাৰি বছৰ আগতে ৰোমত অৱস্থিত চোভিয়েট মন্ত্ৰীক লুজৌ চহৰত হত্যা কৰা হৈছিল)। ইটোৰ পিছত সিটো ঘটনা ঘটি যোৱাৰ কাৰণে ৰুচিয়াৰ লোকসকল ভয়তে বিহ্বল হ'ল। তেওঁলোকৰ দৃঢ়বিশ্বাস হল, এইবাৰ সাম্ৰাজ্যবাদী জাতিসমূহে এক হৈ ৰুচিয়াক আক্ৰমণ কৰিব। ৰুচিয়াত প্ৰবলভাৱে যুদ্ধৰ আশঙ্কাই দেখা দিলে। পশ্চিম য়ুৰোপৰ বহু দেশতে বনুৱাসকলে শোভাযাত্ৰা আদি কৰি ৰুচিয়াৰ পক্ষে আৰু যি যুদ্ধ আসন্ন বুলি ভৱা হৈছিল, তাৰ বিপক্ষে মত প্ৰকাশ কৰিলে। কিন্তু ভয় ক্ৰমে লোহোৱা হ'ল, যুদ্ধও নহ'ল।

ঠিক সেই বছৰতে ১৯২৭ চনতে ৰুচিয়াত মহাসমাৰোহেৰে ৰুচ বিপ্লৱৰ দশম বাৰ্ষিক স্মৃতি উৎসৱ অনুষ্ঠিত হ'ল। ইংলেণ্ড আৰু ফ্ৰান্সতেতিয়া য়ুৰোপৰ ৰাজ্যৰ ৰুচিয়াৰ ওপৰত বৰ বিৰাগ হ'ল। কিন্তু প্ৰাচ্য জগতৰ দেশবোৰৰ মাজত ৰুচিয়াৰ কিমানখিনি বন্ধুত্ব গঢ়ি উঠিছিল তাৰ স্পষ্ট প্ৰমাণ পোৱা গ'ল; পাৰস্য তুৰস্ক, আফগানিস্তান আৰু মঙ্গোলীয়াৰপৰা চৰকাৰীভাৱে প্ৰতিনিধিদল আহি ৰুচিয়াৰ উৎসৱত যোগ দিলে।

য়ুৰোপ আৰু আন ঠাইত যেতিয়া এইবোৰ যুদ্ধৰ আয়োজন চলিছে, ঠিক তেতিয়াই আকৌ নিৰস্ত্ৰীকৰণ লৈয়ো বহুতো জল্পনা-কল্পনা চলিছিল। লীগ্-অব্-নেচনচৰ অনুষ্ঠান পত্ৰত কোৱা হৈছিল "লীগৰ সভ্যসকলে স্বীকাৰ কৰে শান্তি ৰক্ষাৰ কাৰণে প্ৰত্যেক জাতিৰ অস্ত্ৰ-সজ্জা কমোৱাটো, জাতিৰ নিৰাপত্তা ৰক্ষাৰ কাৰণে যিখিনি একান্ত অপৰিহাৰ্য তাৰ বেছি পৰিমাণে প্ৰয়োজনীয় আৰু সকলোৰে মিলিত চেষ্টাৰ দ্বাৰা সকলোৰে আন্তৰ্জাতিক কৰ্তব্য পালনৰ ব্যৱস্থা কৰা দৰকাৰ। এই ভাল নীতিটো প্ৰচাৰ কৰাৰ বাহিৰে আৰু লীগে তেতিয়া একো নকৰিলে, কিন্তু এই বিষয়ে প্ৰয়োজনীয় কৰ্তব্য বিধানৰ কাৰণে কাউন্সিলক নিৰ্দেশ দিলে। জাৰ্মাণী আৰু আন আন বিজিত দেশবোৰৰ অৱশ্যে সন্ধিপত্ৰৰ দ্বাৰা অস্ত্ৰ ত্যাগ কৰোৱা হৈছিল। বিজয়ী দেশবোৰেও আশ্বাস দিছিল তেওঁলোকেও অস্ত্ৰত্যাগ কৰিব কিন্তু তাকে লৈ কনফাৰেন্সৰ পিছত কনফাৰেন্সেই কেৱল চলিব ধৰিলে, আন কাম একেবাৰেই নহ'ল। আচৰিত হবলগীয়া অৱশ্যে ইয়াত একেবাৰেই নাই, কাৰণ প্ৰত্যেক দেশেই বিচাৰিছিল, নিৰস্ত্ৰীকৰণৰ কথাটো এনেভাৱে সম্পন্ন হওক, যেন আনৰ তুলনাত তাৰ নিজৰ শক্তি অলপ বেছি থাকে, আনবোৰ স্বভাৱতেই তাত ৰাজী নহয়। ফৰাচীসকলেতো আগৰপৰা গুৰিলৈকে তেওঁলোকৰ আঁকোৰগজালি মনোভাৱকে ধৰি থাকিল, যে আগতে নিৰাপত্তাৰ ব্যৱস্থা সম্পূৰ্ণ হওক, পিছত অস্ত্ৰত্যাগৰ কথা ভবা যাব।

ডাঙৰ ডাঙৰ দেশবোৰৰ ভিতৰত আমেৰিকা বা চোভিয়েট ইউনিয়ন লীগৰ সভ্য নাছিল। প্ৰকৃততে চোভিয়েটৰ চকুত লীগ আছিল ইয়াৰ এটা প্ৰতিদ্বন্দ্বী, আৰু বিৰোধী পক্ষ। এদল পুঁজিবাদী দেশ তাত একগোট হৈছে। চোভিয়েটৰ বিৰুদ্ধে যুঁজ এওঁলোকৰ ব্ৰত। আকৌ চোভিয়েট ইউনিয়নকো (ঠিক যেনেকৈ বুটিছ সাম্ৰাজ্যক বহুতে কয়) এটা লীগ্ অব নেচনচেই বুলি ভবা হয়—কাৰণ সেই ইউনিয়নৰ ভিতৰত বহুতো প্ৰজাতন্ত্ৰী অঞ্চল একগোট হৈ আছেহি। প্ৰাচ্যৰ দেশসমূহেও লীগ্-অব্-নেচনচক সন্দেহৰ চকুৰে চায় আৰু ভাবে সেইটো সাম্ৰাজ্যবাদী শক্তিসমূহৰ কাৰ্য-সিদ্ধিৰ এটা যন্ত্ৰ বিশেষ মাত্ৰ। কিন্তু তথাপি নিৰস্ত্ৰীকৰণৰ কথা আলোচনা কৰাৰ কাৰণে আমেৰিকা, ৰুচিয়া আৰু আন দেশবোৰো প্ৰায় সকলোৰেই "লীগ-অব্-নেচনচৰ' কনফাৰেন্সবোৰত গৈ যোগ দিলে। ১৯২৫ চনত লীগে এটি উদ্যোগকাৰী কমিচন নিয়োগ কৰিলে, এওঁলোকে ডাঙৰ এটি নিখিল বিশ্ব নিৰস্ত্ৰীকৰণ সন্মিলনৰ পথ ৰচনা কৰিব। এই কমিচনে ক্ৰমানুয়ে সাত বছৰ কাল জুৰি কাম কৰিলে—এটাৰ পিছত এটাকৈ বহুতো পৰিকল্পনা পৰীক্ষা কৰি চালে; কিন্তু ফল একেবাৰেই নহ'ল। ১৯৩২ চনত বিশ্বসন্মিলনৰ সভা বহিল, আৰু বছৰাহ ধৰি চলা অসাৰ আলোচনা পিছত ই উঠি গ'ল।

আমেৰিকাই কেৱল যে এই নিৰস্ত্ৰীকৰণৰ আলোচনাতহে যোগ দিলে এনে নহয়, পৃথিৱীৰ অৰ্থনীতিৰ বজাৰত ইয়াৰ যি প্ৰতিপত্তি গঢ়ি উঠিছে তাৰ কাৰণে য়ুৰোপ আৰু য়ুৰোপৰ ভিতৰুৱা বিষয়তো ইয়াৰ উৎসাহ বাঢ়িব ধৰিলে। গোটেই য়ুৰোপ তেতিয়া ইয়াৰ ধৰুৱা। এতেকে ইয়াৰ তেতিয়া লক্ষ্য আছিল, য়ুৰোপৰ দেশবোৰে যাতে নিজৰ ভিতৰত ভিতি কটা-কটি কৰি নমৰে তাৰ সম্ভাবনা দূৰতে নিবৃত্ত কৰা। কেৱল উচ্চ নীতিৰ কথা বুলি নহয়, এওঁলোকে

যদি সঁচা-সঁচিকৈ বজাবদি কৰি যৰে, তেন্তে আমেৰিকাৰ পাওনা টকা আৰু ব্যৱসায়ৰ কি গতি হ'ব ? নিৰস্ত্ৰীকৰণৰ আলোচনাত কোনো ফলাফলৰ সম্ভাৱনা নোহোৱা দেখি ১৯২৮ চনত শান্তি ৰক্ষাৰ ব্যৱস্থাত এটি নতুন প্ৰস্তাৱ দাঙি ধৰা হ'ল। এই প্ৰস্তাৱ সৃষ্টি হৈছিল ফৰাচী আৰু আমেৰিকাৰ চৰকাৰৰ মাজত আলোচনাৰ ফলত। ইয়াত এটা বৰ ডাঙৰ কথা কোৱা হ'ল "যুদ্ধৰ কথাটোকেই বে-আইনী বুলি ঘোষণা কৰা হওঁক।" কথাটো প্ৰথমতে আৰম্ভ হ'ল কেৱল ফ্ৰান্স আৰু আমেৰিকাৰ মাজত এনে ধৰণৰ এটি চুক্তি স্থাপনৰ সঙ্কল্প লৈ, কিন্তু ক্ৰমে কথাটো ডাঙৰ হৈ পৰিল, আৰু শেষলৈ পৃথিৱীৰ প্ৰায় সকলো দেশকে ইয়াৰ অন্তৰ্ভুক্ত কৰি লোৱা হ'ল। ১৯২৮ চনৰ আগষ্ট মাহত পেৰিচ চহৰত এই চুক্তি-পত্ৰ স্বাক্ষৰ কৰা হ'ল। সেই কাৰণেই ইয়াৰ নাম হ'ল ১৯২৮ চনৰ পেৰিচ চুক্তি বা 'কেলগ-ব্ৰাঁ চুক্তি' বা সংক্ষেপতে কেলগ-চুক্তি। কেলগ আছিল আমেৰিকাৰ চেক্ৰেটৰি অৱ ষ্টেট, এই বিষয়ত তেওঁৱেই প্ৰথম আগৰণুৱা হয়, আৰু আৰিষ্টীদে ব্ৰীয়াঁ আছিল ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী। এই চুক্তিপত্ৰখন বেচ সৰু-সুৰা এখন সু-ৰচিত দলিল বিশেষ। ইয়াত কোৱা হ'ল, এখন দেশৰ লগত আন এখন দেশৰ মতভেদ হ'লে— তাৰ সমাধানৰ কাৰণে যুদ্ধ আৰম্ভ কৰা অহিত কাম, এই চুক্তি যিসকলে চহী কৰিলে তেওঁলোকৰ ভিতৰত পৰস্পৰ সম্পৰ্ক নিৰ্দ্ধাৰণৰ কাৰণে যদি কোনোৱে জাতিৰ নীতিস্বৰূপে যুদ্ধৰ আশ্ৰয় লবলৈ বিচাৰে সেইটো কোনোমতেই মানি লোৱা নহ'ব। এই কথাবোৰ প্ৰায় চহীকৰ্ত্তাসকলৰ নিজা ভাষাত মই কলোঁ। কথাবোৰ শুনিবলৈ বৰ ধুনীয়া। সঁচাকৈয়ে সুস্থ মনেৰে যদি এই কথা কোৱা হয়, তেন্তে যুদ্ধৰ সম্ভাৱনাও শেষ হৈ পৰিলহেঁতেন। কিন্তু দুদিন নৌ যাওঁতেই দেখা গ'ল, স্বাক্ষৰকাৰীসকলে সৰল মনেৰে ইয়াত চহী কৰা নাছিল, কেৱল ভুৱা দিছে। চহী কৰাৰ আগতে ফ্ৰান্স আৰু বৃটেনে দুয়ো পক্ষই, বিশেষকৈ বৃটিছসকলে নিজৰ পৰাই নানা ধৰণৰ … অব্যাহতিৰ ব্যৱস্থা কৰিলে, তাৰ ফলত এওঁলোকৰ পক্ষে চুক্তি চৰ্তবোৰ … হীন হৈ পৰিল বৃটিছ চৰকাৰে ক'লে তেওঁলোকৰ সাম্ৰাজ্যৰ কাৰণে যদি কোনো যুদ্ধ বিগ্ৰহ তেওঁলোকে কৰিবলগীয়া হয়—সেই যুদ্ধ এই চুক্তিপত্ৰৰ দ্বাৰা নিষিদ্ধ নহ'ব। তাৰ অৰ্থই হ'ল, বৃটেনে যেতিয়া বিচাৰিব প্ৰকৃতপক্ষে তেতিয়াই আকৌ যুদ্ধ আৰম্ভ কৰিব পাৰিব। ইয়াৰ নিজৰ শাসন আৰু কৰ্তৃত্ব পৃথিৱীৰ যিমান ঠাইত চলি আছে সেইবোৰ অঞ্চলত বৃটেনে এটি নিজস্ব 'মনৰো নীতি'ৰ ঘোষণা কৰিলে।

প্ৰকাশ্য সভাত যেতিয়া এইদৰে যুদ্ধক বে-আইনী বুলি ঘোষণা কৰা হৈছে, ঠিক সেই মুহূৰ্ত্তত ১৯২৮ চনত ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজত এটি নৌ-বাহিনী সংক্ৰান্ত গুপ্ত চুক্তি হ'ল। এই চুক্তিৰ কথা কোনো প্ৰকাৰে প্ৰকাশ হৈ গ'ল, আৰু এই কথা শুনি য়ুৰোপ আৰু আমেৰিকা বিস্ময়ত স্তব্ধ হৈ গ'ল। প্ৰকাশ্য ৰঙ্গমঞ্চৰ বাহিৰত যৱনিকাৰ আঁৰে আঁৰে আচলতে কিবোৰ ঘটনা ঘটিছে, এইটোৱেই হ'ল তাৰ যথেষ্ট প্ৰমাণ।

চোভিয়েট ইউনিয়নে কেলগ চুক্তি মানি লয়ে, তাত স্বাক্ষৰ কৰিলে। এনে কৰাৰ মূলতে তাৰ প্ৰকৃত উদ্দেশ্য আছিল, এই চুক্তিৰ আৱৰণ লৈ চোভিয়েটক আক্ৰমণ কৰিব এনে কোনো চোভিয়েট বিৰোধী দল বা কোনোবাই শক্তি তুলিব লাগে, তেওঁলোকৰ সেই চেষ্টা এনেদৰে ব্যৰ্থ কৰা … কিছু পৰিমাণে বাধা

দিয়া। চুক্তিৰ চৰ্তৰপৰা অব্যাহতিৰ যিবোৰ ব্যৱস্থা বৃটেনে কৰিছে, বহুতৰ ধাৰণা হৈছিল, তাৰ প্ৰধান লক্ষ্য চোভিয়েট। চুক্তিপত্ৰত চহী কৰিবৰ সময়ত ৰুচিয়াই বৃটেন আৰু ফ্ৰান্সৰ এইবোৰ অব্যাহতিৰ ব্যৱস্থা সম্বন্ধে অতি তীব্ৰ আপত্তি কৰিলে।

যুদ্ধৰ সম্ভাৱনাক এৰুৱাই চলিবলৈ ৰুচিয়াৰ বৰ বেছি আগ্ৰহ আছিল। কেৱল এই চুক্তি লৈয়েই ই ক্ষান্ত নাথাকিল, সাৱধানতাৰ উপৰুৱা ব্যৱস্থা হিচাপে ইয়াৰ প্ৰতিবেশী পোলেণ্ড, ৰুমেনিয়া, এষ্টোনীয়া, লাটভীয়া, তুৰস্ক আৰু পাৰস্যৰ লগতো এটি বিশেষ ধৰণৰ শান্তিৰ চুক্তি কৰিলে। এই চুক্তিৰ নাম লিটভিনভ চুক্তি। এই চুক্তি স্বাক্ষৰ কৰা হয়, ১৯২৯ চনৰ ফেব্ৰুৱাৰী মাহত কেলগ চুক্তি যেতিয়া আন্তৰ্জাতিক আইনত পৰিণত হল, তাৰ ছমাহ আগতে।

পৃথিৱীৰ সকলোতে কাজিয়া, বিবাদ আৰু ভাঙোন আৰম্ভ হৈ গৈছে, তাক স্থিৰ কৰি বজাই ৰখাৰ আগ্ৰহৰে এইবোৰ চুক্তি, মিত্ৰতা, সন্ধি ৰচিত হব ধৰিলে, যেন বাহিৰৰপৰা এইবোৰ চুক্তি বা তালি তাপলিৰে এনে এটি গুৰুতৰ ব্যাধিক দমাই ৰখাটো সম্ভৱ। এইটো ১৯২০ চনৰ পিছৰ কথা, এই সময়ত য়ুৰোপৰ বহুত দেশতে শাসন কৰ্ত্তৃত্ব আছিল সমাজতন্ত্ৰী বা চছিয়েল ডেমক্ৰেট দলৰ হাতত। কিন্তু চৰকাৰী পদ-মৰ্য্যাদা আৰু শক্তিৰ সোৱাদ এওঁলোকে যিমানেই বেছি পাবলৈ ধৰিলে, সিমানেই বেছি কৰি এওঁলোকে পুঁজিবাদী ৰীতিৰ মাজত নিজৰ অস্তিত্ব হেৰুৱাই মিলি যাব ধৰিলে। প্ৰকৃতপক্ষে এওঁলোকেই ক্ৰমান্বয়ে হৈ পৰিল পুঁজিবাদক বজাই ৰখাৰ আটাইতকৈ ডাঙৰ কৰ্ণধাৰ। বহু সময়ত তেওঁলোক ইমান সমাজবাদী হৈ পৰিল যে কোনো ৰক্ষণশীল বা আন কোনো প্ৰগতি বিৰোধী লোকেও এওঁলোকক চেৰ পেলাব নোৱাৰিলে। যুদ্ধৰ পিছত প্ৰথম কেইবছৰ মান য়ুৰোপত বিপ্লৱৰ চৌ লাগিছিল; সেই চৌৰ বলকনি তেতিয়া বহুখিনি কমিছে, য়ুৰোপৰ জীৱনযাত্ৰা বহু পৰিমাণে শান্ত হৈ পৰিছে। অৱস্থা দেখি তেতিয়া এনে ভাব হৈছিল, ধনিকতন্ত্ৰই আকৌ কিছু দিনৰ কাৰণে নিজকে এই নতুন অৱস্থাৰ লগত খাপ খুৱাই লব পাৰিছে। য়ুৰোপৰ কৰবাত হঠাৎ তেতিয়াই আকৌ বিপ্লৱ আৰম্ভ হব—এনে সম্ভাৱনা ক'তো দেখা নাযায়।

১৯২৯ চনত এনে আছিল য়ুৰোপৰ অৱস্থা।

১৭৫

ইটালী-মুচলিনী আৰু ফেচিজিম

২১ জুন, ১৯৩৩

য়ুৰোপ সম্বন্ধে মোৰ গল্প ১৯২৯ চন অৰ্থাৎ ইটালীত মুচলিনী আৰু ফেচিজিমলৈকে কোৱা হ'ল। কিন্তু ইয়াৰ এটি ডাঙৰ অধ্যায় এতিয়ালৈকে একেবাৰেই কৰলৈ বাকী আছে—সেইটো কৰলৈকে তোমাক কিছু আগৰ দিনৰ কথা কব লাগিব। যুদ্ধৰ পিছত ইটালীত যিবোৰ ঘটনা ঘটিছে ই হৈছে তাৰেই গল্প। ঘটনাবোৰ আমাৰ কাৰণে কেৱল ইটালীত কি হৈছে, তাৰ কাহিনী স্বৰূপেই আৱশ্যকীয় নহয়; ইয়াক জনা দৰকাৰ এই কাৰণেই যে এইবোৰ অলপ নতুন ধৰণৰ ঘটনা, আনহাতে পৃথিৱীৰ সকলোতে যে এটা অভিনৱ ধৰণৰ কাণ্ড আৰু সংগ্ৰাম দেখা দিছে, তাৰেই সাৱধান বাণী ই আমাক শুনায়। এই কাৰণেই এই গল্পবোৰ কেৱল এটি বিশেষ জাতিৰ গল্প নহয়, আৰু মই এইবোৰৰ সম্বন্ধে যেনেগে এখন চিঠিত সমালোচনা কৰিম বুলি খৈ দিছিলোঁ। এই চিঠিত মই তোমাক মুচলিনীৰ কথা কম। এতিয়াৰ জগতত যি-কেইজন মানুহে পৃথিৱীত সৰ্বশ্ৰেষ্ঠ বুলি সন্মান পাইছে তেওঁ তেওঁলোকৰেই এজন। আৰু কম ইটালীত ফেচিজিমৰ অভ্যুত্থানৰ কথা।

বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগৰপৰাই ইটালীত ভীষণ আৰ্থিক দুৰ্গতিয়ে দেখা দিছিল। ১৯১১-১২ চনত তুৰস্কৰ লগত ইয়াৰ যুদ্ধ হ'ল; সেই যুদ্ধত ইয়াৰেই জয় হ'ল। উত্তৰ আফ্ৰিকাৰ ত্ৰিপলী অঞ্চল তেওঁলোকৰ দখললৈ আহিল। ইটালীৰ সাম্ৰাজ্যবাদী নেতাসকলৰ আনন্দৰ সীমা নোহোৱা হ'ল। কিন্তু এই সৰু যুদ্ধখনৰ ফল ইটালীৰ ভিতৰুৱা অৱস্থাৰ পক্ষে বিশেষ উপকাৰত নাহিল। ইয়াৰ আৰ্থিক অৱস্থাৰো কোনো উন্নতি নহল। অৱস্থা ক্ৰমে বেয়া হৈ পৰিল; ১৯১৪ চনত অৰ্থাৎ বিশ্বযুদ্ধ ঠিক আৰম্ভ হোৱাৰ সময়ত, ইটালীত বিপ্লৱ একেবাৰে দুৱাৰডলিত বুলি অনুভৱ হ'ল। বহুতো কাৰখানাত ডাঙৰ ডাঙৰ ধৰ্মঘট হ'ল; শ্ৰমিকসকলক ৰখানি ৰখা হ'ল কেৱল পৰমপন্থী সমাজতন্ত্ৰী শ্ৰমিক নেতাসকল আছিল বুলিহে; এওঁলোকে কোনো উপায়ে ধৰ্মঘট বন্ধ কৰি দিলে। তাৰ পিছতে আহিল যুদ্ধ। ইটালীৰ মিত্ৰ আছিল—জাৰ্মানী, কিন্তু ইটালীয়ে জাৰ্মানীৰ পক্ষে যোগ দিবলৈ অসন্মতি প্ৰকাশ কৰিলে, নিৰপেক্ষ থাকি সেই সুযোগতে দুয়ো পক্ষৰপৰা কিছু সুবিধা আদায় কৰি লোৱাৰ চেষ্টা কৰিলে। যি বেছি মূল্য দিব তেওঁলোকৰ

পক্ষেই যোগ দি যুদ্ধ কৰিব—এনে ভাব মুঠেই প্ৰশংসনীয় নহয়। কিন্তু ৰাজনীতিৰ ক্ষেত্ৰত দেশবোৰৰ মৰ্মজ্ঞান বুলিবলৈ একো নাই; বহুত সময়তেই তেওঁলোকে এনে আচৰণ কৰি থাকে যিটো কৰিবলৈ হলে যিকোনো সাধাৰণ মানুহ লাজতে মৰি যাব। নগদ টকাই বোলক বা যুদ্ধৰ পিছত মাটি দিয়াৰ প্ৰতিশ্ৰুতিকে বোলা, জাৰ্মাণীৰ তুলনাত মিত্ৰপক্ষৰ মনত ইংলেণ্ড আৰু ফ্ৰান্সৰ 'ঘোচ' দিয়াৰ শক্তি আছিল বহুত বেছি। এতেকে ১৯১৫ চনৰ মে' মাহত ইটালীয়ে যুদ্ধত মিত্ৰপক্ষৰ কলীয়া হৈ যোগ দিলে। স্মাৰ্না আৰু এচিয়া মাইনৰৰ কিছু অংশ ইটালীক দি দিয়া হব বুলি এটা গোপন সন্ধিও ইয়াৰ কেইদিনমান পিছত কৰা হৈছিল, তাৰ কথা বোধহয় মই তোমাক কৈছিলোঁ। এই সন্ধি অনুমোদন হোৱাৰ আগতে ৰুচিয়াৰ বলচেভিক বিপ্লৱ সংঘটিত হল, তাৰ ফলত এই কুট চক্ৰান্তৰ খেল ভাঙি গ'ল। এইটোৱেই হ'ল ইটালীৰ মনৰ দুখৰ এটি কাৰণ। শেষত যি সন্ধিপত্ৰ ৰচিত হ'ল, তাতো ইটালী কিছু পৰিমাণে অসন্তুষ্ট হ'ল, তাৰ ধাৰণা হ'ল ইটালীৰ ন্যায্য অধিকাৰবোৰ ইয়াত স্বীকাৰ কৰা হোৱা নাই। এইবোৰত কিছুমান নতুন উপনিবেশ দখল কৰা আৰু শোষণ কৰাৰ সুযোগ পোৱা যাব, দেশৰ যি অৰ্থৰ নাটনি তাৰ কিছু সুবিধা কৰি লোৱা হব, এই আশাতেই ইটালীৰ সাম্ৰাজ্যবাদী-সকলে আৰু বুৰ্জোৱাসকলে এনে কৰিলে।

তাৰ কাৰণো আছিল। যুদ্ধৰ পিছত ইটালীৰ অৱস্থা অতি বেয়া হৈ পৰিছিল, যুদ্ধত ইটালীৰ যিমান ক্ষতি হ'ল, আন কোনো দেশৰে সিমান হোৱা নাছিল। দেশৰ অৰ্থনৈতিক ব্যৱস্থা একেবাৰে চূৰ্ণ হোৱাৰ উপক্ৰম হৈছিল; জনসাধাৰণ ক্ৰমে বেছি কৰি সমাজতন্ত্ৰবাদ আৰু কমিউনিজিমৰ কাষে চাপ খাইছে। ৰুচিয়াত বলচেভিকসকলে যি কাণ্ড ঘটাইছে তাৰ দৃষ্টান্তই স্বভাৱতেই তেওঁলোকক উৎসাহিত কৰি তুলিছিল। দেশৰ মাজত একালে আছে কাৰখানাৰ শ্ৰমিকসকল, অৰ্থনৈতিক অৱস্থাৰ হেঁচাত তেওঁলোকৰ দুৰ্দশা একেবাৰে চৰম সীমা পাইছেগৈ; আনকালে আছে বহুতো সৈনিক—এওঁলোকৰ বাহিনী ভাঙি দিয়া হৈছে, এওঁলোকৰ বেছি ভাগেই তেতিয়া নিকনুৱা। বিশৃংখলা ক্ৰমাৎ বাঢ়ি গ'ল। শ্ৰমিকসকলৰ শক্তি দিনে দিনে বাঢ়ি গৈছে, তেওঁলোকক বাধা দিয়াৰ কাৰণে মধ্যবিত্ত শ্ৰেণীৰ নেতাসকলে এই সৈন্যসকলক সংঘবদ্ধ কৰি তুলিবলৈ চেষ্টা কৰিব ধৰিলে। ১৯২০ চনৰ গ্ৰীষ্ম কালত এটি সঙ্কট মুহূৰ্ত আহি উপস্থিত হ'ল। ধাতুৰ কাৰখানাৰ শ্ৰমিকসকলৰ ইউনিয়ন এটি ডাঙৰ অনুষ্ঠান, পাঁচ লাখ মানুহ তাৰ ভিতৰত আছে। এই ইউনিয়নে দাবী তুলিলে শ্ৰমিকসকলৰ বেতন বঢ়াই দিব লাগিব। দাবী নামঞ্জুৰ হ'ল; এতেকে এই শ্ৰমিকসকলে স্থিৰ কৰিলে, তেওঁলোকে এটি নতুন পদ্ধতিৰে ধৰ্মঘট কৰিব—এই পদ্ধতিৰ নাম দিয়া হল "কামত থাকি ধৰ্মঘট কৰা।" তাৰ অৰ্থ হ'ল শ্ৰমিকসকলে নিজৰ নিজৰ কাৰখানাত উপস্থিত থাকিব; কিন্তু কোনো কাম নকৰি কেৱল বহি থাকিব—আনকি কামত ব্যাঘাত জন্মাব। এইটো হৈছে 'চিণ্ডিকেলিষ্ট'সকলৰ কৰ্মপন্থা। বহুদিনৰ আগতে ফ্ৰান্সৰ শ্ৰমিকসকলে এই নীতিৰ প্ৰচাৰ কৰিছিল। কাৰখানাৰ মালিকসকলে এই বাধা সৃষ্টিকাৰী ধৰ্মঘটৰ উত্তৰ দিলে—'তলা বন্ধ' নীতিৰে অৰ্থাৎ কাৰখানা বন্ধ কৰি দি। শ্ৰমিক-


ইটালী আৰু ভূমধ্যসাগৰীয় অঞ্চল

সকলে তেতিয়া নিজে কাৰখানাবোৰ দখল কৰি ললে ;লৈ সমাজতন্ত্রী নীতিৰে সেই কাৰখানাবোৰ চলাবলৈ চেষ্টা কৰিলে।

শ্রমিকসকলৰ এই কামটো যে বিপ্লৱবাদী তাত সন্দেহ নাই, সুবিধামতে চলাব পাৰিলে—ইয়াৰ ফলত অৱশ্যেই সমাজ বিপ্লৱ ঘটিব আৰু নহলে চেষ্টাটোৱে ব্যৰ্থ হৈ যাব। ইয়াৰ মাজৰ কোনো অৱস্থা বেছি দিন চলা সম্ভৱ নাছিল। ইটালীত তেতিয়া সমাজতন্ত্রী দল বৰ প্ৰবল। ট্ৰেড ইউনিয়নবোৰতো ইয়াৰ ইঙ্গিতত চলেই; তাৰ উপৰিও দেশৰ তিনি হাজাৰ মিউনিচিপেলিটিও আছিল এওঁলোকৰ হাততেই। পাৰ্লিয়ামেণ্টতো এওঁলোকৰ ফালৰ সভ্য আছিল ১৫০ জন, অর্থাৎ মুঠ সভ্যসংখ্যাৰ প্রায় এক তৃতীয়াংশ। যি শক্তিশালী আৰু দৃঢ় প্রতিষ্ঠ ৰাজনৈতিক দলে প্রচুৰ সম্পত্তি আৰু ৰাজ্য শাসনৰ বহুতো উচ্চ পদ অধিকাৰ কৰি থাকে, সি আৰু প্রায় বিপ্লৱবাদী হৈ নাথাকে। তথাপি কিন্তু এই দলটিয়ে, ইয়াৰ নৰমপন্থী সভ্যসকলেও শ্রমিকসকলক সমৰ্থন কৰিলে ; ক'লে, কাৰখানা দখল কৰি তেওঁলোকে ভালেই কৰিছে। কিন্তু সমৰ্থন কৰাৰ বাহিৰে তেওঁলোকে আৰু বিশেষ একো নকৰিলে। পিছুৱাই যোৱাৰ ইচ্ছা এওঁলোকৰ নাছিল, কিন্তু আগুৱাই যোৱাৰ সাহসো নাছিল। ব'ত বাধা-বিঘিনি কম সহ্য কৰিবলগীয়া হয় তেনে এটা মধ্যম পন্থাকে আকোৱালি ললে। যিবোৰ ভয়াতুৰ, যিবোৰে কাৰ্যৰ সময়ত ইতস্তত: কৰে, ঠিক সময়ত মন ঠিক কৰি লব নোৱাৰে, তেওঁলোকৰ অৱস্থা সদায় যি হয় এওঁলোকৰ ঠিক সেয়েই হ'ল। শুভ মুহূৰ্তটো এওঁলোকে বেছু পাৰ হৈ যাব দিলে, তাৰ লগত সমানে খোজ পেলাই চলিব নোৱাৰিলে, এতেকে ই কালচক্রৰ ৰথৰ চকাত নিজেই চেপা খাই নিশ্চিহ্ন হল। শ্রমিকসকলে কাৰখানাবোৰ দখল কৰি লৈছিল—শ্রমিক নেতাসকলে আৰু প্রগতিবাদী দলবিলাকে মন স্থিৰ কৰিব নোৱাৰিলে বাবেই তেওঁলোকৰ সেই চেষ্টাটোও বিফল হ'ল।

ধনীক শ্রেণীৰ ইয়াৰ কাৰণে সাহস বাঢ়ি গ'ল। শ্রমিকসকলৰ আৰু তেওঁলোকৰ নেতাসকলৰ শক্তি তেওঁলোকে ভালদৰে বুজি লৈছে। আৰু দেখিছে যে যিমান শক্তি তেওঁলোকৰ আছে বুলি ভাবিছিল আচলতে শক্তি তাতকৈ বহুতো কম। এইবাৰ এওঁলোকে স্থিৰ কৰিলে, ইয়াৰ প্রতিশোধ লব লাগিব. শ্রমিক আন্দোলন আৰু সমাজতন্ত্রী দলক ভাঙি চূৰ্ণ কৰি দিব লাগিব। এই কামৰ সহায় হিচাপে এওঁলোকে বিশেষ কৰি বাছি লগে কিছুমান স্বেচ্ছাসেৱক বাহিনীক-১৯১৯ চনৰ কাম পোৱা সৈনিকসকলক লৈ বেনিটো মুচলিনীয়ে এই বাহিনী গঢ়ি তুলিছিল। এওঁলোকৰ নাম আছিল 'ফেচি দি কম্বাটিমেণ্ট' অর্থাৎ যুঁজাৰু দল, এওঁলোকৰ কাম আছিল—সুবিধা পালেই সমাজতন্ত্রী আৰু প্রগতিবাদীসকল আৰু তেওঁলোক পৰিচালিত সকলো প্রতিষ্ঠানৰ ওপৰত আক্রমণ চলোৱা। যেনে, সমাজতন্ত্রবাদীসকলে বাতৰি কাকত উলিয়ালে, তেওঁলোকে সেই কাকত ছপোৱাৰ ছপাখানাটোকে নষ্ট কৰি দিব। কোনো মিউনিচিপেলিটি বা সমবায় প্রতিষ্ঠান সমাজতন্ত্রী বা প্রগতিবাদীসকলৰ কর্তৃত্বত প্রতিষ্ঠিত হোৱা দেখিলে, তাক ভাঙি দিবলৈ চেষ্টা কৰিব। শ্রমিক আৰু সমাজতন্ত্রীসকলৰ বিৰুদ্ধে এই যুঁজাৰুদলে যুদ্ধ চলাইছে। আজক আজৰ শিল্পপতিসকলে আৰু উচ্চ বুর্জোৱা শ্রেণীৰ লোকে

সকলৰ প্ৰায় সকলোৱেই এওঁলোকক উৎসাহ দিবলৈ আৰু টকা পইচা দি সহায় কৰিবলৈ আৰম্ভ কৰিলে। শাসনত থকা কৰ্তৃপক্ষেও এওঁলোকৰ প্ৰতি অন্যায় অনুগ্ৰহ দেখুৱাবলৈ ধৰিলে, কাৰণ সমাজতন্ত্ৰী দলৰ শক্তি ভাঙি দিয়াই তেওঁলোকৰো কাম্য।

এই বেনিটো মুচলিনীনো কোন? বিজনে কেচি দি কৰবিটিৰেণ্ট বা বুঁজাক দল অৰ্থাৎ সংক্ষেপে কবলৈ হলে কাচিট বাহিনী গঢ়ি তুলিলে। তেতিয়া তেওঁ এজন কম বয়সীয়া ডেকা (এতিয়া তেওঁৰ বয়স পঞ্চ বছৰ, ১৮৮৩ চনত তেওঁৰ জন্ম) অথচ নানা ধৰণৰ বিচিত্ৰ আৰু উত্তেজনাপূৰ্ণ ঘটনাৰে তেওঁৰ জীৱন কাহিনী পৰিপূৰ্ণ। তেওঁৰ বাপেক আছিল এজন কমাৰ আৰু এজন সমাজতন্ত্ৰবাদী, এতেকে মুচলিনী সমাজতন্ত্ৰবাদৰ পৰিবেশৰ মাজত মানুহ হৈছিল। প্ৰথম যৌৱনত তেওঁ আছিল একেবাৰে কঢ়া, আন্দোলন পন্থী, বিপ্লৱৰ বাণী প্ৰচাৰ কৰাৰ অভিযোগত চুইজাৰলেণ্ডত একাধিক কেণ্টনৰ পৰা তেওঁ বহিস্কাৰ হবলগীয়াত পৰিছিল। নৰম-পন্থী সমাজতন্ত্ৰী নেতাসকলক তেওঁ তীব্ৰ ভাষাত সমালোচনা কৰিছিল, তেওঁলোক নৰমপন্থী এই কাৰণেই। বোমা পেলাই আৰু আন আন উপায়েৰে ৰাষ্ট্ৰৰ বিৰুদ্ধে ত্ৰাস সৃষ্টিৰ কাৰণে কৰা চেষ্টাক তেওঁ দেখাদেখিকৈ সমৰ্থন কৰিছিল। তুৰস্কৰ লগত যেতিয়া ইটালীৰ যুদ্ধ হয় তেতিয়া সমাজতন্ত্ৰী নেতাসকলৰ ভিতৰত প্ৰায় সকলোৱেই যুদ্ধক সমৰ্থন কৰিছিল। মুচলিনীয়ে কিন্তু নকৰিলে—তেওঁ সেই যুদ্ধৰ বিৰোধিতাই কৰিব ধৰিলে। আৰু কিছুমান হিংসামূলক কাৰ্য্য-কলাপৰ অপৰাধত তেওঁ কেইমাহমানৰ কাৰণে কাৰাদণ্ডও ভোগ কৰিবলগীয়া হ'ল। নৰম পন্থী, সমাজতন্ত্ৰী নেতাসকলে যুদ্ধ সমৰ্থন কৰিছিল বুলি তেওঁ অতি তীব্ৰ ভাষাত এওঁলোকক আক্ৰমণ কৰিলে, তাৰেই চেষ্টাৰ ফলত এওঁলোকে সমাজতন্ত্ৰী দলৰপৰা বিতাৰিত হ'ল। সমাজতন্ত্ৰীসকলৰ দৈনিক বাতৰি কাকত আছিল মিলান চহৰৰপৰা প্ৰকাশিত 'আভাণ্টি''। তেওঁ এই কাকতৰ সম্পাদক হ'ল, দিনৰ পিছত দিন ধৰি শ্ৰমিকসকলক উপদেশ দিব ধৰিলে। হিংসাৰ উত্তৰ হিংসাৰে দিয়া। এওঁলোকক এইভাৱে তেওঁ হিংসাৰ আশ্ৰয় লবলৈ প্ৰৰোচিত কৰিলে, পৰমপন্থী মৰ্ষবাদী নেতা-সকলে এই কথাত ভীষণ আপত্তি কৰিলে।

তাৰ পিছত আহিল বিশ্বযুদ্ধ। কেইমাহ মান ধৰি মুচলিনী যুদ্ধৰ বিৰোধী হৈ থাকিল। ক'লে—নিৰপেক্ষ হৈ থকাই ইটালীৰ উচিত। তাৰ পিছত এদিন অলপ আকস্মিকভাৱে তেওঁ মত পৰিবৰ্ত্তন কৰিলে, অন্ততঃ তেওঁ মত প্ৰকাশ কৰাৰ ভাষা ওলোটাই দিলে। ঘোষণা কৰিলে—ইটালীৰ মিত্ৰপক্ষৰ ফালে যোগ দিয়াই উচিত। সমাজতন্ত্ৰী কাভৰ সংশ্ৰৱ এৰি দি তেওঁ নতুন এখন কাকতৰ সম্পাদনা আৰম্ভ কৰিলে। সেই কাকতত এই নতুন নীতিৰ কথাকে প্ৰচাৰ কৰা হ'ল। সমাজতন্ত্ৰী দলৰপৰা তেওঁৰ নাম কাটি দিয়া হ'ল। ইয়াৰ কিছুদিন পিছত তেওঁ স্বেচ্ছাই এজন সাধাৰণ সৈনিক বুলি নাম লেখিলে ইটালীৰ ৰণক্ষেত্ৰত যুদ্ধ কৰিলে—যুদ্ধত আহতো হ'ল।

যুদ্ধৰ পিছত মুচলিনীয়ে নিজকে সমাজতন্ত্ৰী বুলি পৰিচয় দিয়াতো বন্ধ কৰিলে। তেওঁৰ তেতিয়া অলপ বিষণ্ণ অৱস্থা, তেওঁৰ পুৰণি দল আৰু তেওঁৰ ওপৰত প্ৰসন্ন

নহয়; শ্ৰমিকশ্ৰেণীসকলৰ ওপৰতো তেওঁৰ কোনো প্ৰতিপত্তি নাই। শান্তিকামী-সকলক আৰু সমাজতন্ত্ৰবাদক তেওঁ নিন্দা কৰিব ধৰিলে, ইফালে আকৌ তাৰ লগে লগেই বুৰ্জোৱা ৰাষ্ট্ৰকো গালি-শপনি পাৰিব ধৰিলে। সকলো প্ৰকাৰ ৰাষ্ট্ৰকেই তেওঁ বেয়া বুলি ঘোষণা কৰিলে—নিজকে "ব্যক্তি স্বতন্ত্ৰবাদী" বুলি পৰিচয় দি 'অৰাজকতন্ত্ৰ'ৰ প্ৰশংসা কৰিব ধৰিলে। এয়ে হ'ল তেওঁ যি লেখিছিল তাৰ কথা। কামত তেওঁ যি কৰিলে সেইটো হৈছে ১৯১৯ চনৰ মাৰ্চ মাহত তেওঁ ফেচিজমো বা ফেচিজিমৰ প্ৰতিষ্ঠা কৰিলে আৰু নিবনুৱা সৈনিকসকলক তেওঁৰ যুঁজাৰুৰ দলত ভৰ্ত্তি কৰি ললে। এই দলবোৰৰ নীতি আছিল, হিংসা আৰু বল প্ৰয়োগ, চৰকাৰে এওঁলোকৰ ওপৰত বেছি একো হস্তক্ষেপ নকৰিছিল, এতেকে এওঁলোকৰ সাহস আৰু অত্যাচাৰ ক্ৰমে বাঢ়ি গ'ল। বহু সময়ত চহৰ অঞ্চলত শ্ৰমিকসকলে এওঁলোকৰ লগত ৰীতিমতে যুদ্ধ কৰিছিল আৰু চহৰবপৰা এওঁলোকক খেদি পঠাইছিল। কিন্তু সমাজতন্ত্ৰী নেতাসকলে শ্ৰমিকসকলৰ এই যুঁজ কৰাটো অনুচিত বুলি প্ৰচাৰ কৰিলে। তেওঁলোকে যুক্তি দেখুৱালে ফেচিষ্টসকলে যি ত্ৰাসৰ সৃষ্টি কৰিছে, তোমালোকে শান্তভাৱে আৰু নিষ্ক্ৰীয় ধৈৰ্য্যৰে তাক সহ্য কৰি যোৱা। এওঁলোকে আশা কৰিছিল এইভাৱে চলিলেই ফেচিষ্টসকল লাহে লাহে ক্লান্ত আৰু অৱশ হৈ পৰিব। কিন্তু সেইটো যুঠেই নহল বৰং আৰু ফেচিষ্ট-সকলৰ শক্তি দিনে দিনে বাঢ়িব ধৰিলে। কাৰণ তেওঁলোকে দুই কামৰপৰা সহায় পাইছিল—একালে দেশৰ ধনী লোকসকলে তেওঁলোকক টকাৰ যোগান ধৰিছিল, আনফালে চৰকাৰে তেওঁলোকৰ কাৰ্য কলাপত বাধা দিবলৈ বাধ্য নহয়। ইফালে জনসাধাৰণৰ মাজত এওঁলোকক বাধা দিয়াৰ সাহস যিখিনি আছিল সিও লাহে লাহে নষ্ট হৈ গ'ল শ্ৰমিকসকলৰ অস্ত্ৰস্বৰূপ ধৰ্মঘটেৰেও ফেচিষ্টসকলৰ অত্যাচাৰৰ উত্তৰ দিয়াৰ চেষ্টা কৰা নহ'ল।

মুচলিনীৰ নেতৃত্বত পৰিচালিত এই ফেচিষ্ট বাহিনীয়ে একেলগে দুটা পৰস্পৰ বিৰোধী বাণী প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰি দিলে। পোন প্ৰথমে এওঁলোক হ'ল সমাজতন্ত্ৰবাদ আৰু কমিউনিজিমৰ শত্ৰু, এতেকে ধনী শ্ৰেণীয়ে এওঁলোকক সমৰ্থন কৰিবলৈ ধৰিলে, কিন্তু মুচলিনী একালত সমাজতন্ত্ৰী আন্দোলনকাৰী আৰু বিপ্লৱ-বাদী আছিল পুঁজিপতিসকলৰ বিৰোধী বহুতো জনপ্ৰিয় বাণী তেওঁৰ কণ্ঠস্থ—দুখীয়া শ্ৰেণীৰ লোকসকলৰ বহুতেই এই বাণীসমূহ শুনিলে তৎক্ষণাৎ মুগ্ধ হৈ যায়। আন্দোলন চলোৱাৰ বিষয়ত বৰ সিদ্ধহস্ত হৈছে—কমিউনিষ্টসকল, তেওঁ-লোকৰপৰা সেই বিদ্যাও তেওঁ বহুখিনি শিকি লৈছিল। এতেকে ফেচিজিম হলগৈ নানাবিধ মতামতৰ এটা বিচিত্ৰ সমন্বয়, ইয়াক বহুতোৰকমে ব্যাখ্যা কৰিব পাৰি। মূলতে ই এটা ধনীকতন্ত্ৰী আন্দোলন, অথচ এনে কিছুমান ধ্বনি এওঁ-লোকে উচ্চাৰণ কৰে যি পুঁজিবাদৰ পক্ষে বৰ মাৰাত্মক। এনেদৰে ইয়াৰ মাজত বহুতো মানুহ আহি একত্ৰিত হ'ল। ইয়াৰ মেৰুদণ্ড আছিল মধ্যবিত্ত শ্ৰেণীবোৰ—বিশেষকৈ নিবনুৱা নিম্ন মধ্যবিত্তসকল। নিবনুৱা আৰু অপটু শ্ৰমিকসকলৰ যি কিসকল সংঘবদ্ধ নাছিল, শ্ৰমিক ইউনিয়নৰ ভিতৰত নাছিল, ফেচিজিমৰ শক্তি-বৃদ্ধিৰ লগে লগে তেওঁলোকো এটা এটাকৈ আহি ইয়াৰ মাজত সোমাল। ইয়াৰ কাৰণ বুজা টান নহয়—সাফল্য দেখুৱাই মানুহক যিমান সহজে দলত টানি আনিব পাৰি আন একোৱে নোৱাৰি। ফেচিষ্টসকলে জোৰ জুলুমেৰে দোকানীসকলক

ঘৰ-দুৱাৰনিৰ দাম কমাই ৰাখিবলৈ বাধ্য কৰিলে, ফলত দুখীয়া জনসাধাৰণৰো এওঁলোক প্রীতিভাজন হ'ল। বহুতো দুঃসাহসী ভাগ্যান্বেষী আহিও কেচিষ্টসকলৰ লগ লাগিল। কিন্তু ইমানবোৰ ঘটনা ঘটা সত্বেও কেচিজিম এটা কমসংখ্যক লোকৰ আন্দোলন হৈয়ে থাকিল।

সমাজতন্ত্ৰী নেতাসকলে ভয়ত আৰু দ্বিধাত কাল কটাব ধৰিলে, নিজৰ ভিতৰত কাজিয়া লাগিল, তেওঁলোকৰ দলৰ ভিতৰত ভাঙন বা ভাগ ভাগ হব ধৰিলে, ইফালে কেচিষ্টসকলৰ শক্তি বাঢ়িব ধৰিলে। চৰকাৰী সৈন্যবাহিনী যিটো আছিল এই বাহিনীৰ সেনাপতিক সকলো মুচলিনীয়ে নিজৰ দললৈ টানি নিছিল। এনে ধৰণৰ সকলো বিভিন্ন প্রকৃতিৰ আৰু পৰস্পৰ বিৰোধী মানুহক মুচলিনীয়ে তেওঁৰ পক্ষলৈ টানি নিলে আৰু এক কৰি ৰাখিলে, তেওঁৰ সেই বাহিনীৰ ভিতৰত যিমান দল আছিল প্রত্যেককে বুজাই দিলে যে বিশেষকৈ তেওঁলোকৰ নিজৰ ভালৰ কাৰণেই কেচিজিমৰ সৃষ্টি হৈছে— এইটো তেওঁৰ পক্ষে এটা বিশেষ কৃতিত্বৰ নিদর্শন। ধনী কেচিষ্টসকলে জানিছিল, মুচলিনী হৈছে তেওঁ-লোকৰ সম্পত্তিৰ ৰক্ষাকর্তা তেওঁ যিবোৰ পুঁজিপতিসকলৰ বিৰোধী বক্তৃতা দি আৰু ধ্বনি উচ্চাৰণ কৰি ফুৰিছিল, সেইবোৰ কেৱল সাৰশূন্য কথা, জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ বুলি কোৱা। দৰিদ্র কেচিষ্টসকলে বিশ্বাস কৰিছিল—সেই ধনীক-তন্ত্ৰী বিৰোধী কথাবোৰেই হৈছে কেচিজিমৰ আচল তত্ত্ব বাকীবোৰ বাহিৰা কথা, ধনীসকলক অবাক কৰি ৰখাৰ ব্যৱস্থা। এইভাৱে মুচলিনীয়ে ইদলক সিদলৰ বিৰুদ্ধে উচতাই দিবলৈ চেষ্টা কৰিলে, এদিন তেওঁ ধনীসকলৰ হৈ কথা কয়, পিচদিনা আকৌ কয় দুখীয়াসকলৰ হৈ। কিন্তু মূলতে আছিল তেওঁ বিত্তশালী শ্রেণীৰেই প্রতিনিধি আৰু ৰক্ষাকর্তা, এওঁলোকেই তেওঁক টকা যোগাইছিল। এওঁলোকৰ উদ্দেশ্য আছিল শ্রমিকসকলৰ আৰু সমাজতন্ত্ৰীবাদীসকলৰ সকলো শক্তি চূর্ণ কৰি দিয়া—দীর্ঘকাল ধৰি তেওঁলোকে এই ধনীসকলৰ উচ্ছেদ কৰিব বুলি ভয় দেখুৱাই আহিছে।

অৱশেষত ১৯২২ চনৰ অক্টোবৰ মাহত কেচিষ্ট বাহিনীয়ে ৰোম চহৰৰ ফালে অভিযান কৰিলে, তেওঁলোকক চলাই লৈ গ'ল চৰকাৰী বাহিনীৰ সেনাপতিসকলে। প্রধানমন্ত্রীয়ে ইমানদিনে কেচিষ্টসকলৰ কার্য-কলাপ সহ্য কৰি আহিছে, এইবাৰ তেওঁ সামৰিক আইন জাৰি কৰিলে। কিন্তু তেতিয়া আৰু তাৰ সময় উকলি গৈছে, ৰজা নিজেই তেতিয়া মুচলিনীৰ পক্ষে। তেওঁ (ৰজা) সামৰিক আইন জাৰি কৰাৰ আদেশ নাকচ কৰি দিলে, প্রধানমন্ত্রীৰ পদত্যাগপত্র গ্রহণ কৰিলে, আৰু মুচলিনীকেই প্রধান মন্ত্রী হবলৈ আৰু মন্ত্রীসভা গঠন কৰিবলৈ আমন্ত্রণ জনালে। ১৯২২ চনৰ ৩০ অক্টোবৰ তাৰিখে কেচিষ্ট বাহিনী ৰোম আহি সোমাল। সেই দিনাই মিলানৰপৰা ৰেলত উঠি মুচলিনীও আহি পালে—প্রধানমন্ত্রীৰ আসনত বহিবৰ কাৰণে।

কেচিজিমৰ জয় হ'ল, দেশত মুচলিনীৰ কর্তৃত্ব প্রতিষ্ঠিত হল। কিন্তু তেওঁৰ উদ্দেশ্য কি? কি আছিল তেওঁৰ কর্মসূচী আৰু নীতি? ডাঙৰ ডাঙৰ আলো-

দলবোৰ প্ৰায় গঢ়ি উঠে কোনো এটা স্পষ্ট বা প্ৰত্যক্ষ আদৰ্শবাদক আশ্ৰয় কৰি, সেই আদৰ্শবাদৰ মূলত থাকে কিছুমান স্থায়ী নীতি, কিছুমান নিশ্চিত উদ্দেশ্য আৰু কৰ্মসূচীও ইয়াত থাকে। ফেচিজিমৰ আছিল এটা অদ্ভুত বিশেষত্ব, ইয়াৰ কোনো নিৰ্দিষ্ট নীতি নাই, আদৰ্শবাদ নাই, তাৰ পিছত কোনো ন্যায়সঙ্গত যুক্তি বা চিন্তাধাৰা নাই, অৱশ্যে ইয়াক যদি সমাজতন্ত্ৰবাদ, কমিউনিজিম, উদাৰপন্থী, আদিৰ বিৰোধিতা কৰাটোকেই এটা আদৰ্শ বুলি ধৰা হয়, সি সুকীয়া কথা। ১৯২০ অৰ্থাৎ ফেচিষ্ট দলবোৰ যেতিয়া গঢ়া হল তাৰ এবছৰ পিছত মুচলিনীয়ে ফেচিষ্ট-সকলৰ সম্বন্ধে কৈছিল—

"কোনো নিৰ্দিষ্ট নীতিৰ লগত এওঁলোক সাঙোৰ খাই থকা নাই, সেয়ে এওঁলোক অবিমিশ্ৰিত গতিৰে একেটি মাত্ৰ লক্ষ্যকে থিয়াই আগুৱাই যাব পাৰে; যি লক্ষ্য হৈছে ইটালীৰ প্ৰজাসকলৰ ভৱিষ্যত কল্যাণ।"

সেইটোক অৱশ্যে বিশেষ এটা নীতি বুলিব নোৱাৰি, নিজৰ জাতিৰ কল্যাণ সাধনৰ চেষ্টাতো প্ৰত্যেকজন লোকেই কৰিবলৈ সাজু থাকে। ১৯২২ চনত ৰোম অভিযানৰ ঠিক এমাহ আগতে মুচলিনীয়ে কৈছিল—"আমাৰ কৰ্মসূচী অতি সহজ—আমি ইটালীক শাসন কৰিব বিচাৰোঁ।"

বৰ্তমান ইটালীৰ এখন এনচাইক্লোপেডিয়াত মুচলিনী ফেচিজিমৰ উৎপত্তিৰ সম্বন্ধে এটা প্ৰবন্ধ লেখিছে, তাত কথাটো আৰু স্পষ্টভাৱে কৈছে। কৈছে—ৰোমৰ অভিযান যেতিয়া আৰম্ভ কৰে, তেতিয়া ভৱিষ্যতত কি কৰিব সেই সম্বন্ধে কোনো নিশ্চিত পৰিকল্পনা তেওঁৰ নাছিল। এদিন তেওঁ সমাজতন্ত্ৰবাদৰ শিক্ষা পাইছিল, তাৰ ফলত সেই ৰাজনৈতিক সংকটৰ মুহূৰ্তত এটা কিবা কৰিবৰ প্ৰেৰণাই তেওঁৰ মন অভিভূত কৰি পেলাইছিল, তাৰেই কাৰণে তেওঁ পিছত সেই দুঃসাহসিক অভিযানত ব্ৰতী হৈছিল।

ফেচিজিম আৰু কমিউনিজিম পৰস্পৰ বিৰোধী, তথাপি এইবোৰৰ কিছুমান কাৰ্য-কলাপ একে ধৰণৰ, অথচ নীতি আৰু আদৰ্শবাদৰ কথা যদি কোৱা হয় এই দুটা একেবাৰে বিপৰীত ফেচিজিমৰ মূলতে কোনো নীতি নাই, আমি দেখিছোঁ, একেবাৰে শূন্যতাৰ পৰা ইয়াৰ আৰম্ভ। আনকালে কমিউনিজিম বা মাৰ্ক্সবাদ হৈছে জটিল অৰ্থনীতিৰ শাস্ত্ৰ-সন্মত মতবাদ, আৰু ইতিহাসৰ ভাষ্যবিশেষ, তাক আয়ত্ত কৰিবলৈ হলে আগতে মনক অতি কঠোৰ শিক্ষাত দীক্ষিত কৰি লব লাগিব।

ফেচিজিমৰ কোনো নীতি বা আদৰ্শ নাছিল, কিন্তু অত্যাচাৰ আৰু সন্ত্ৰাসবাদী কাৰ্য চলোৱাৰ এটি বিশেষ গুণ ইয়াৰ আছিল, তাৰ উপৰিও আছিল অতীত সম্বন্ধে এটা দুৰ্বলতা—তাৰ পৰা ইয়াৰ স্বৰূপ অলপ বুজিব পৰা যায়। ইয়াৰ প্ৰতীক আছিল পুৰণি ৰোম সাম্ৰাজ্যৰ এটি প্ৰতীক, ৰোমৰ সম্ৰাট আৰু শাসনকৰ্তা-সকল কেতিয়া বাট আলিত ওলাই, তেওঁলোকৰ আগে আগে এই প্ৰতীকটো কঢ়িয়াই নিয়া হৈছিল। বস্তুটো হৈছে এমুঠা কাঠি, (ইয়াৰ নাম আছিল ফেচেচ, তাৰ পৰাই ফেচিজিমো কথাটোৰ উৎপত্তি) তাৰ মাজতে এখন কুঠাৰ গুঁজি থোৱা আছে। ফেচিষ্টসকলৰ সংগঠনটিও সেই পুৰণি ৰোমৰ আদৰ্শৰে গঢ়া, এওঁলোকে যে নামবোৰ ব্যৱহাৰ কৰে, সেইবোৰো পুৰণি ৰোমৰ পৰা লোৱা হৈছে। ফেচিষ্ট-সকলৰ প্ৰধান কৰা নিৰ্বাচিত নাম হল ফেচিষ্টা, পুৰণি ৰোমত [illegible]

নমস্কাৰ জনোৱা হৈছিল, হাতখন তুলি আগলৈ বঢ়াই দিয়ে। এতেকে দেখিছো ফেচিষ্টসকলে প্ৰেৰণা সংগ্ৰহ কৰিছিল, ৰোম সাম্ৰাজ্যৰ পৰা এওঁলোকৰ মনোভাৱেই আছিল সাম্ৰাজ্য বাদী মনোভাব। এওঁলোকৰ নীতিবাক্য আছিল, তৰ্ক নকৰিবা—কেৱল আদেশ মানি চলা। সেই নীতি সৈন্যবাহিনীৰ কাৰণে হয়তো ভাল, কিন্তু গণতন্ত্ৰৰ লগতে সেইটো কেতিয়াও খাপ নাখায়। এওঁলোকৰ নেতা মুচলিনীৰ পদবী আছিল—ইলদুচে—বা ডিক্টেটৰ। এওঁলোকৰ সাজ আছিল এটা ক'লা চাৰ্ট, সেয়ে এওঁলোকৰ নাম হৈ পৰিছিল 'ক'লা-চাৰ্ট'ৰ দল।

ফেচিষ্টসকলৰ একমাত্ৰ নিৰ্দিষ্ট কৰ্মনীতি আছিল শক্তি অৰ্জন কৰা, মুচলিনী প্ৰধানমন্ত্ৰী হোৱাৰ ফলত সেই উদ্দেশ্য তেওঁলোকৰ সিদ্ধি হ'ল। মুচলিনীয়ে এইবাৰ নিজৰ আসন দৃঢ় কৰিবৰ মনেৰে লাগি গ'ল, তেওঁৰ বিৰোধী দলবিলাক বিচূৰ্ণ কৰি। দেশত অত্যাচাৰ আৰু ত্ৰাস-সৃষ্টিৰ এটা অদ্ভুত তাণ্ডৱৰ সৃষ্টি হল। অত্যাচাৰ উৎপীড়নৰ কাহিনী ইতিহাসত বহুতো পোৱা যায়, কিন্তু সাধাৰণতে মানুহে ইয়াক অপ্ৰিয় কৰ্ত্তব্য বুলিয়েই জানে, অনুষ্ঠানৰ লগে লগেই ইয়াৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰে। ফেচিষ্টসকলে কিন্তু উৎপীড়ন সম্বন্ধে এনেধৰণৰ কোনো সঙ্কোচকে কৰাৰ প্ৰয়োজন বোধ নকৰিছিল। তেওঁলোকে ইয়াক নীতি বুলিয়েই স্বীকাৰ কৰি ললে, মুকলি ভাবেৰে ইয়াৰ প্ৰশংসা কৰিব ধৰিলে, কোনেও ক'তো বাধা নিদিয়াতো তেওঁলোকৰ উৎপীড়ন চলি থাকিল। পাৰ্লিয়ামেণ্টত বিৰোধ সভ্য এওঁলোকৰ বিপক্ষে আছিল, তেওঁলোকক ঠাণ্ডা কৰি ৰখা হ'ল; গাৰ জোৰেৰে এনে এটি আইন প্ৰণয়ন কৰিলে যাৰ ফলত দেশৰ শাসনতন্ত্ৰখনেই সলনি হৈ গ'ল। এইভাৱে বৰ বেছিভাগ ভোট মুচলিনীৰ পক্ষে অনাৰ দিহা হ'ল।

ফেচিষ্টসকলে যেতিয়া দেশ শাসন কৰিছে, পুলিচ, ৰাষ্ট্ৰ, তেওঁলোকৰ হাতত—তথাপি যদি তেওঁলোকে মানুহৰ ওপৰত বে-আইনী বোকৰ্ম্মযা চলাব বিচাৰে, সেইটো এটা আচৰিত কথা। অথচ ঠিক সেইটোকে তেওঁলোকে কৰিলে, আগত তেওঁলোকৰ কোনো বাধাও নাছিল, কাৰণ চৰকাৰী পুলিচে তেওঁলোকৰ ওপৰত হস্তক্ষেপ নকৰে। নৰহত্যা নিৰ্য্যাতন, মাৰ-ধৰ, সম্পত্তি নষ্ট কৰা সমানে চলিব ধৰিলে। বিশেষকৈ নিৰ্য্যাতনৰ এটি নতুন পদ্ধতি ফেচিষ্টসকলে বৰকৈ প্ৰয়োগ কৰিছিল, সেইটো হৈছিল তেওঁলোকৰ বিপক্ষে যি কথা কবলৈ সাহস কৰে তাকেই ধৰি একেবাৰে বহুখিনি কেষ্টৰ অইল খুৱাই দিছিল।

১৯২৪ চনত গিয়াকামো মাত্তেওত্তি নিহত হ'ল, তেওঁৰ হত্যাৰ বাতৰিত য়ুৰোপ স্তম্ভিত হৈ গ'ল; মাত্তেওত্তি আছিল সমাজতন্ত্ৰী দলৰ এজন নেতৃস্থানীয় লোক, পাৰ্লিয়ামেণ্টৰ সভ্য আছিল তেওঁ। দেশত অলপ দিন আগতে এটি নিৰ্বাচন হৈ গৈছে, নিৰ্বাচনৰ ফলত ফেচিষ্টসকলে বিৰোধ আচৰণ কৰিছিল, পাৰ্লিয়ামেণ্টত বক্তৃতা দিবলৈ গৈ মাত্তেওত্তিয়ে তাৰ সমালোচনা কৰিছিল। ইয়াৰ কেইদিনমান পিছতে তেওঁক খুন কৰা হ'ল। লোক-দেখুৱাকৈ হিচাপে হত্যাকাৰীসকলৰ এটি ভুৱা বিচাৰো কৰা হ'ল, বিচাৰত তেওঁলোকে কোনো শাস্তি নোপোৱাকৈ খালাচ পালে। উদাৰপন্থী দলৰ এজন নৰমপন্থী নেতা আছিল এমেণ্ডোলা তেওঁক ফেচিষ্টসকলে এনে মাৰধৰ কৰিলে যে তেওঁ মৰিয়েই গ'ল। নিত্তি আছিল উদাৰপন্থী আৰু দেশৰ এজন ভূতপূৰ্ব প্ৰধানমন্ত্ৰী, কিন্তু তেওঁৰ ঘৰটো এওঁলোকে

ধ্বংস কৰি দিলে। এই ৰকমৰ অত্যাচাৰ দেশৰ সকলোতে সদায় সকলো সময়তে চলিছিল, যি ক'লো ই কেৱল তাৰ দুই চাৰিটা নমুনাহে—সেই নমুনা দেখিয়েই পৃথিৱী জুৰি সকলোৱেই চঞ্চল হৈ পৰিল। আৰু আইনৰ বলত ব'ত্তে মাৰ দমন কৰা সত্তৰ তাৰ ত্ৰুটি কেতিয়াও নহৈছিল, এই উৎপীড়ন আছিল তেওঁলোকৰ নিত্য সহচৰ। অথচ এইটো কেৱল উত্তেজিত জনতাৰ বিশৃঙ্খল অত্যাচাৰ নহয়, ই ৰীতিমতে সুসংহত পদ্ধতিৰে চলোৱা অত্যাচাৰ; বেচ ভাবি-চিন্তিয়েই সকলো বিৰোধী পক্ষৰ প্ৰতি ইয়াৰ প্ৰয়োগ হৈছিল—সেই বিৰুদ্ধপক্ষ মানে কেৱল সমাজ-তন্ত্ৰবাদী বা কমিউনিষ্ট নহয়—শান্তিপ্ৰিয় আৰু অতি নৰমপন্থী উদাৰপন্থীসকলে ইয়াৰ হাতৰপৰা ৰেহাই নাপালে। মুচলিনীৰ আদেশেই আছিল যিসকল তেওঁৰ বিৰোধী তেওঁলোকৰ পক্ষে জীয়াই থকাটোকে কঠিন বা অসম্ভৱ কৰি তুলিব লাগিব। সেই আদেশ ফেচিষ্টসকলে পৰম নিষ্ঠাৰে পালন কৰিলে। আন কোনো দল, আনকোনো সংগঠন বা প্ৰতিষ্ঠান, দেশত বাচি থাকিব নোৱাৰিব। সকলো হব ফেচিষ্টপন্থী। আৰু চৰকাৰী চাকৰিও পাব ফেচিষ্টসকলেহে।

মুচলিনী হ'ল ইটালীৰ সৰ্বশক্তিমান ডিক্টেটৰ, কেৱল প্ৰধানমন্ত্ৰীয়েই তেওঁ নহ'ল—বৈদেশিক বিষয়ৰো মন্ত্ৰী, আভ্যন্তৰীণ শাসন, উপনিবেশ, যুদ্ধ, বাণিজ্য, বিমান আৰু শ্ৰমিক মন্ত্ৰীও তেৱেঁই হল। প্ৰকৃতপক্ষে তেৱেঁই গোটেই মন্ত্ৰীসভা হৈ পৰিল। ৰজা বেচাৰা ক'ৰ পিছত পৰি থাকিল, তেওঁৰ নামো মানুহৰ কাণত নপৰা হ'ল। ইটালীৰ ৰজসভত তেতিয়া ফেচিষ্ট গ্ৰেণ্ড কাউন্সিলেই সকলো ঠাই আগুৰি লৈছে, আৰু সেই ফেচিষ্ট গ্ৰেণ্ড কাউন্সিল চলিছে মুচলিনীৰ ইঙ্গিতত।

বৈদেশিক বিষয় সম্বন্ধে মুচলিনীয়ে প্ৰথমভাগতে যি বক্তৃতা দিলে সেইবোৰ শুনি য়ুৰোপত বৰ বিস্ময় আৰু আতঙ্কৰ সৃষ্টি হল। আচৰিত বক্তৃতা সেইবোৰ আস্ফালন চিঞৰ-বাখৰেৰে পৰিপূৰ্ণ, ৰাজনীতিবিদসকলে যিধৰণৰ বিচক্ষণ যুক্তি সাধৰণতে দিয়ে, তাৰ লগত ইয়াৰ কোনো মিল নাই। শুনিলে ভাব হয় তেওঁ যেন সকলো সময়তে এখন যুদ্ধ লগোৱাৰ কাৰণে উদগ্ৰীৱ হৈ আছে। ইটালীৰ ভাগ্যত আছিল যে তেওঁ এদিন সাম্ৰাজ্যৰ অধীকাৰী হব—তাৰে কথাকে কৰ ধৰিলে যে ইটালীৰ ইমান উৰাজাহাজ হব যে তাৰ ছাঁয়াত আকাশ অন্ধকাৰ হৈ যাব। ওচৰ-চুবুৰীয়া ৰাজ্য ফ্ৰান্সকতো তেওঁ কেইবাৰমান সাৱধান-বাণীও শুনাই দিলে। ফ্ৰান্সৰ শক্তি অৱশ্যে ইটালীতকৈ বেছি আছিল। কিন্তু তেতিয়া কোনেও যুদ্ধ কৰিব বিচৰা নাছিল। এতেকে মুচলিনীয়ে যিমান গৰম গৰম কথা ক'লে সকলোৱে তাক সহ্য কৰি গ'ল। ইটালী লীগ্-অৱ্ নেচন্চৰ সভ্য অথচ বিশেষকৈ সেই লীগকেই লক্ষ্য কৰি মুচলিনীয়ে ব্যঙ্গ আৰু অৱজ্ঞাৰ বাণ বৰষিবলৈ ধৰিলে এবাৰতো বৰ উগ্ৰভাষাত কথা অগ্ৰাহ্যই কৰিলে।' তেতিয়াও লীগ আৰু আন আন দেশসমূহ মনে মনে থাকিল।

ইটালীৰ বাহিৰৰ ৰূপৰ মহত্তে পৰিৱৰ্তন ঘটিছে, দেশৰ সকলোতে এনে এটা শৃঙ্খলা আৰু সময়ানুৱৰ্তিতাৰ ভাৱ বিৰাজ কৰিছে, যে সেইবোৰ দেখি বিদেশী ভ্ৰমণকাৰীসকলৰ মনত ইটালীৰ সম্বন্ধে বৰ ভাল ধাৰণা ওপজে। যোৱ এদিন সাম্ৰাজ্যৰ অধীশ্বৰী আছিল, ইয়াক আকৌ সুন্দৰ কৰি সজাই তোলা হৈছে, দেশৰ

উন্নতি সাধনৰ বহু সুদূৰ প্ৰসাৰী পৰিকল্পনা কাৰ্যত পৰিণত কৰা হৈছে। আকৌ নতুন কৰি এখন ৰোমান সাম্ৰাজ্য স্থাপনৰ সপোন যেন মুচলিনীৰ চকুত বিৰাজ কৰিছে বুলি মনে ধৰে।

পোপৰ লগত ইটালীৰ চৰকাৰৰ দীৰ্ঘকাল জুৰি কাজিয়া চলি আছিল, ১৯২৯ চনত মুচলিনী আৰু পোপৰ প্ৰতিনিধিৰ মাজত এখন চুক্তি হৈ সেই কাজিয়াৰ অৱসান ঘটিছে। ১৮৭১ চনত ৰোমক ইটালীৰ ৰাজধানী বুলি ঘোষণা কৰা হয়। তেতিয়াৰপৰাই চিৰদিন পোপসকলে সেই ঘোষণা মানি লবলৈ বা ৰোমত তেওঁলোকৰ যি সাৰ্বভৌম ক্ষমতা আছে, তাৰ দাবী এৰি দিবলৈ অস্বীকাৰ কৰি আহিছে। ৰোমৰ ভিতৰতে ভেটিকা·ত পোপসকলৰ প্ৰকাণ্ড প্ৰাসাদ চেণ্টপিটাৰ্চো তাৰে অন্তৰ্গত। এতেকে নিৰ্বাচিত হোৱাৰ লগে লগেই প্ৰত্যেক পোপেই পোনেই সেই প্ৰাসাদত গৈ প্ৰৱেশ কৰিছিল, জীৱনত আৰু বাহিৰ নোলায়, ইটালী ৰাজ্যত পদাৰ্পন নকৰে। নিজৰ ইচ্ছাতেই এওঁলোক এইদৰে বন্দী হৈ থাকে। ১৯২৯ চনৰ চুক্তিত ৰোমৰ এই ক্ষুদ্ৰ ভেটিকান অঞ্চলক এখন স্বাধীন আৰু সাৰ্বভৌম ৰাজ্য বুলি স্বীকাৰ কৰা হ'ল। পোপ এই ৰাজ্যৰ সৰ্বশক্তি মান অধীশ্বৰ ইয়াৰ প্ৰজা-সকলৰ মুঠ সংখ্যা প্ৰায় পাঁচশ। এই ৰাজ্যৰ নিজৰ আদালত আছে মুদ্ৰা ডাক টিকত আছে, চৰকাৰী কৰ্মচাৰীসকল আছে, আৰু পৃথিৱীৰ ভিতৰত সকলোতকৈ ব্যয় বহুল এটি অতিক্ষুদ্ৰ ৰেলৱে আছে। পোপে এতিয়া নিজে সজা বন্দী স্বৰূপে কাল নকটায়, মাজে মাজে ভেটিকানৰ পৰাও বাহিৰ হৈ আহে। পোপৰ লগত এই ফন্দি কৰিছে বুলি কেথলিকসকল মুচলিনীৰ প্ৰতি সুপ্ৰসন্ন। ফেচিষ্টসকলে যি বে-আইনী উৎপীড়ন চলাইছিল, কেইবছৰমান সি বৰ প্ৰবল আছিল। তাৰ পিছতো প্ৰায় ১৯২৬ চনলৈকে সেইটো অলপ অলপ চলিছিল। ১৯২৬ চনত ৰাজনীতিৰ ক্ষেত্ৰত প্ৰতিদ্বন্দ্বীসকলক শাসন কৰাৰ কাৰণে কিছুমান বিশেষ ধৰণৰ আইন তৈয়াৰ কৰা হল, তাৰ ফলত ৰাষ্ট্ৰৰ হাতত একেবাৰে ডাঙৰ ক্ষমতা আহি পৰিল। বে-আইনী কাম চলোৱাৰ আৰু কোনো প্ৰয়োজন নহ'ল। ভাৰতবৰ্ষত আমি অসংখ্য অৰ্ডিনেন্স আৰু সেই অৰ্ডিনেন্সৰ বলত নিৰ্মিত আইন দেখিছোঁ, এই আইন আছিল কিছু পৰিমাণে তাৰ নিচিনাই। এতিয়াও এইবোৰ বিশেষ ধৰণৰ আইনৰ বলত বহুতো লোকক শাস্তি দিয়া হৈছে, জেলত পৰা হৈছে, নিৰ্বাসিত কৰা হৈছে। চৰকাৰী বিৱৰণীৰপৰা জনা যায় ১৯২৬ চনৰ নবেম্বৰৰপৰা ১৯৩২ চনৰ ডিচেম্বৰ মাহলৈকে মুঠ ১০,০৪৪ জন লোকক বিচাৰৰ কাৰণে স্পেচিয়েল ট্ৰিবুনেলৰ আগত হাজিৰ কৰোৱা হৈছে। পঞ্জা, ভেণ্টেনিণী আৰু ট্ৰেমিটি বুলি তিনিটা দীপক বন্দী নিবাসত পৰিণত কৰা হৈছে; নিৰ্বাসিত বন্দীসকলক তালৈ পঠিয়াই দিয়া হয়। শুনা যায়—ইয়াত হেনো তেওঁলোকৰ থকাৰ ব্যৱস্থাও বৰ বেয়া।

এতিয়াও মানুহক ক্ৰমে বন্দী কৰা হৈছে, ইয়াৰপৰাই বেছ বুজা যায়, ইমান পীড়ন উৎপীড়ন সত্বেও দেশত কোনোবা বিৰোধী এটা গুপ্ত শক্তি জীয়াই আছে। ঋণৰ বোজা দিনে দিনে বাঢ়ি গৈছে, দেশৰ আৰ্থিক অৱস্থাও বৰ বেয়া হৈ পৰিছে।

১৭৬

গণতন্ত্ৰ আৰু একাধিনায়কত্ব

২২, জুন ১৯৩৩

বেনিটো মুচোলিনীয়ে নিজক ইটালীৰ ডিক্টেটৰ ৰূপে প্ৰতিষ্ঠিত কৰিছিল। তেওঁৰ উদাহৰণ দেখি য়ুৰোপত বহুতো উৎসাহিত হ'ল। মুচোলিনীয়ে কৈছিল, য়ুৰোপৰ প্ৰত্যেক দেশতে একোখন সিংহাসন শূন্য হৈ পৰি আছে, এজন যোগ্য লোক আহি বহাৰ আশাত। য়ুৰোপৰ বহুতো দেশতেই ডিক্টেটৰৰ আৱিৰ্ভাৱ হৈছে, পাৰ্লিয়ামেণ্টবোৰক হয় ভাঙি দিয়া হৈছে নহয়তো জোৰ কৰি ডিক্টেটৰৰ আজ্ঞা মানি চলিবলৈ বাধ্য কৰা হৈছে। ইয়াৰ এটি সুন্দৰ উদাহৰণ হৈছে স্পেইন।

স্পেইনে বিশ্বযুদ্ধত যোগ দিয়া নাছিল। সেই যুদ্ধত যুদ্ধনিৰত জাতিবোৰৰ ওচৰত মালপত্ৰ বেচি পুঁজিপতি কৰি লৈছিল। কিন্তু ইয়াৰ নিজৰ শাসন-বিধানৰ অন্তৰ নাছিল; শিল্প প্ৰচেষ্টাৰ ক্ষেত্ৰতো স্পেইন এখন পিছপৰা দেশ আছিল। একালত য়ুৰোপৰ ভিতৰত স্পেইনৰ প্ৰভাৱ আৰু প্ৰতিপত্তি আছিল, তেতিয়া আমেৰিকা আৰু প্ৰাচ্য জগতৰ ধন ভাণ্ডাৰ এই দেশৰ ভঁৰালতে আহি সোমাইছিলহি। কিন্তু সেইদিন বহুদিনৰ আগতে পাৰ হৈ গ'ল; এতিয়া আৰু স্পেইনক য়ুৰোপৰ ভিতৰত এখন শক্তিশালী দেশ বুলি কোনেও গণ্য নকৰে। দুৰ্বল শক্তিহীন এখন পাৰ্লিয়ামেণ্ট আছিল, ইয়াৰ নাম 'কৰ্টেচ।' ৰোমান কেথলিকসকল দেশত প্ৰবল আছিল। য়ুৰোপৰ আন আন পিছপৰা দেশ শিল্প প্ৰচেষ্টাত পিছপৰা আছিল—তেওঁলোকৰ যি দশা হৈছে স্পেইনৰো সেয়ে হ'ল। 'চিণ্ডিকেলিজিম' আৰু 'এনাৰ্কিজিমে' এই দেশত প্ৰসাৰ লাভ কৰিলে, জাৰ্মানীত যি মাৰ্ক্সবাদ বা ইংলেণ্ডত যি মধ্যপন্থী শ্ৰমিক-আন্দোলন গঢ়ি উঠিছিল, স্পেইনত তাৰ আদৰ নাই। ১৯১৭ চনত কাটালোনিয়াত বিপ্লৱীসকলে বেতিয়া ক্ষমতা হস্তগত কৰিবলৈ যুদ্ধ কৰিছিল, তেতিয়া স্পেইনৰ ধনিকসকলে আৰু প্ৰগতিবিৰোধীসকলে সেনাবাহিনী এটি কৰ্মী আৱদ্ধ কৰিলে, তেওঁলোকৰ উদ্দেশ্য, দেশত এখন শক্তিশালী শাসন স্থাপন কৰা। চৰকাৰ আৰু সেনাবাহিনীয়ে সেই কৰ্মী আৰু সেনাই আন্দোলনকাৰীবোৰক ভাঙি চুৰমাৰ কৰি দিলে আৰু তাৰ কাৰণে সেনাবাহিনীৰ লোক ক্ষমতা কৰ্তা হৈ পৰিল।

[illegible]

হ'ল; স্পেইনৰ শাসনৰ বিৰুদ্ধে এওঁ বিদ্ৰোহ ঘোষণা কৰিলে। ৰব কাৰ্যক্ষম আৰু পৰাক্ৰম দেখুৱাই তেওঁ বাৰে বাৰে স্পেইনৰ সৈন্যক পৰাজিত কৰিলে। ইয়াৰ ফলত স্পেইনৰ ৰাজ্যত এটা সংকটে দেখা দিলে। ৰজা আৰু সৈন্যাধ্যক্ষসকল, দুয়োপক্ষই বিচাৰিলে এই শাসনতন্ত্ৰ আৰু পাৰ্লিয়ামেণ্ট শেষ কৰি দিয়া হওক, আৰু এটি ডিক্টেটৰী শাসন প্ৰতিষ্ঠা কৰা হওক। ইয়ালৈকে এওঁলোকৰ মতৰ মিল আছিল। মতৰ অমিল হ'ল পিছৰ ফালটো লৈ। যে ডিক্টেটৰ হ'ব কোন? ৰজাৰ ইচ্ছা তেৱেঁই ডিক্টেটৰ বা সৰ্বশক্তিমান ৰজা হ'ব। সৈন্যসকলৰ ইচ্ছা ডিক্টেটৰৰ আসনখন সৈন্যবাহিনীৰ হাততেই থাকক। ১৯২৩ চনৰ চেপ্টেম্বৰ মাহত সৈন্যসকলে বিদ্ৰোহ কৰিলে। সৈন্যবাহিনীৰ জয় হ'ল—জেনেৰেল প্ৰাইমো ডি ৰেভেৰা দেশৰ ডিক্টেটৰ হৈ ৰহিল। কৰ্টেচ অৰ্থাৎ পাৰ্লিয়ামেণ্টখন তেওঁ ভাঙি দিলে, দি দেখাদেখিকৈ গাৰ জোৰত, অৰ্থাৎ সৈন্যবাহিনীৰ বলত দেশ শাসন কৰিব ধৰিলে।

১৯৩০ চনৰ প্ৰথম ফালে সেনাবাহিনী খিবক্ত হৈ উঠাত ৰজাই প্ৰাইমো ডি ৰিভেৰাক তেওঁক পদচ্যুত কৰিলে। সেই বছৰতে দেশত এটা বিপ্লৱ ঘটিল। সেই বিপ্লৱ দমনো কৰা হ'ল, কিন্তু প্ৰজাতন্ত্ৰ আৰু বিপ্লৱৰ কাৰণে যি বিৰাট উৎসাহ দেখা দিছিল তাক দমাবলৈ সক্ষম নহ'ল। ১৯৩১ চনত প্ৰজাতন্ত্ৰীসকলে তেওঁলোকৰ শক্তিৰ নমুনা দেখুৱালে, মিউনিচিপালিটিৰ নিৰ্বাচনবোৰত তেওঁলোকে বিনাকষ্টে জয় কৰিলে। "দূৰদৃষ্টিয়েই বীৰত্বৰ সকলোতকৈ ডাঙৰ অংশ।" ৰজা আলফনচোহি এই মহাবাক্য শিৰত তুলি ললে। সিংহাসন এৰি তেওঁ দেশৰপৰা পলাই গ'ল। দেশত এখন অস্থায়ী চৰকাৰ গঠন হ'ল। স্পেইনত আছিল য়ুৰোপৰ মাজত স্বৈৰতন্ত্ৰী ৰাজশাসন আৰু ধৰ্মযাজকসকলৰ শাসনৰ পুৰণি নিদৰ্শন। এইবাৰ পৰিণত হ'ল য়ুৰোপত সকলোতকৈ নৱ প্ৰজাতন্ত্ৰত। ভূতপূৰ্ব ৰজা আলফান্সোক বেআইনী ঘোষণা কৰা হ'ল। ধৰ্মযাজকসকলৰ প্ৰতিপত্তিও কমাবলৈ চেষ্টা চলিল।

কিন্তু নই কৈছিলো ডিক্টেটৰসকলৰ ভাৰা, ইটালী আৰু স্পেইনৰ বাহিৰেও আৰু বহুতো দেশত গণতান্ত্ৰিক চৰকাৰক উচ্ছেদ কৰি দি ডিক্টেটৰী শাসন প্ৰতিষ্ঠিত কৰা হ'ল, এইবোৰৰ নাম হ'ল পোলেণ্ড, যুগোশ্লাভিয়া, গ্ৰীচ, বুলগেৰীয়া, পৰ্তুগাল, হাঙ্গেৰী আৰু অষ্ট্ৰীয়া। পোলেণ্ডৰ আগৰ যুগৰ বৃদ্ধ সমাজতন্ত্ৰী নেতা পিলচুদস্কি ডিক্টেটৰ হৈ ৰহিল, কাৰণ সৈন্যবাহিনী তেওঁৰেই হাতত। পোলেণ্ডৰ পাৰ্লিয়ামেণ্টৰ সভ্যসকলৰ প্ৰতি তেওঁ অতিশয় বেয়া ভাষাত গালিশপনি পাৰিলে। মাজে মাজে তেওঁলোকক গ্ৰেপ্তাৰ কৰি একেলগে দেশৰপৰা বিতাৰিত কৰি দিয়ে। যুগোশ্লাভিয়াত ৰজা আলেকজেণ্ডাৰ নিজেই ডিক্টেটৰ হৈ ৰহিল। শুনা যায় সেই দেশৰ বহুত ঠাইত তেনে অৱস্থা এনে হৈয়া, জনসাধাৰণৰ ওপৰত এনে অত্যাচাৰ চলিছে, যে তুৰ্কীসকল যেতিয়া দেশৰ শাসক আছিল তেতিয়াও এনেকুৱা হোৱা নাছিল।

বিনাসংঘাত দেশৰ আনি নাম কৰোঁ। তাৰ সকলো দেশতে হয়তো এতিয়া প্ৰকাশ্য-ভাৱে ডিক্টেটৰী শাসন প্ৰচলিত হোৱা নাই। এওঁলোকৰ শাসন ব্যৱস্থাৰ ইমান ধনৰ পৰিবৰ্তন হৈছে, যে তাৰ ফলত তাৰ আৰি চলিবলৈ টান হৈ পৰিছে। [illegible] এওঁলোকৰ পাৰ্লিয়ামেণ্টবোৰে দুৰ্নীতিৰ কাৰণে [illegible],

হয়তো কেইদিনমানৰ কাৰণে কাজ-কাৰ্য্য চলাই যায়। এনে একোবাৰ আকৌ চৰকাৰ পক্ষই হঠাৎ কমিউনিষ্ট আদি বিৰোধী প্ৰতিনিধিক তেওঁলোকে পছন্দ নকৰে তেওঁলোকৰ গোটেই দলকে গ্ৰেপ্তাৰ কৰে, পাৰ্লিয়ামেণ্টৰপৰা জোৰ কৰিয়েই তেওঁলোকক খেদাই দিয়ে, আন কিমান বাকী থাকে, তেওঁলোকেই মিলিয়ে পাৰে কাম-কাজ চলায়। বুলগেৰিয়াত সম্প্ৰতি সেই ঘটনাই চলিছে। এইবোৰ দেশৰ শাসকসকলে সকলো সময়তে ডিক্টেটৰী শাসনৰ জয়ত কমতি কৰিছে। বিশেষ বিশেষ লোক বা সৰু দলেৰে পৰিচালিত এইবোৰ চৰকাৰ সম্পূৰ্ণ নিজৰ গাৰ জোৰৰ ওপৰতেই তিষ্ঠি আছে। এতেকে আৱশ্যকমতে শক্তিমত এওঁলোকৰ বিৰোধী পক্ষৰ লোকসকলক পীড়ন, হত্যা বা কাৰাৰুদ্ধ কৰিবলগীয়া হৈছে, বাতৰি প্ৰচাৰত কঠোৰ 'চেন্সৰ' বহুৱাবলগীয়াত পৰিছে। বাহ্যভাৱে এটি জোৱাংজোৱা বাহিনী ৰাখিবলগীয়া হৈছে।

য়ুৰোপৰ বাহিৰতো বহুতো ডিক্টেটৰৰ আবিৰ্ভাৱ হৈছিল। তুৰস্ক আৰু কামাল পাছাৰ কথা তোমাক আগতেই কৈছোঁ। দক্ষিণ আমেৰিকাতো বহুত ডিক্টেটৰ আছিল, অৱশ্যে তাত এইটো পুৰণি কালৰেপৰাই আছে। দক্ষিণ আমেৰিকাৰ প্ৰজাতন্ত্ৰবোৰ কোনোদিনেই গণতান্ত্ৰিক ৰাজনীতিৰ বিশেষ ভক্ত নহয়।

যিবোৰ দেশত ডিক্টেটৰী শাসন আছে বুলি কৈছোঁ, তাৰ ভিতৰত মই চোভিয়েট ইউনিয়নৰ নাম লোৱা নাই। তাৰ কাৰণ তাত যি ডিক্টেটৰী শাসন প্ৰবৰ্ত্তন হৈছে, তাৰ নিৰ্দ্দয়তা আন যিকোনো দেশৰ সমান হলেও ইয়াৰ প্ৰকৃতি আন আন দেশৰ তুলনাত আন ধৰণৰ। ৰুচিয়াৰ ডিক্টেটৰী শাসন কোনো এজন লোকৰ বা সৰু এটি দলৰ শাসন নহয়, এটি বৃহত্তৰ ৰাজনৈতিক দলৰ শাসন, সেই শাসন প্ৰধানকৈ প্ৰতিষ্ঠিত হৈছে, শ্ৰমিক শ্ৰেণীৰ ওপৰত নিৰ্ভৰ কৰি। ইয়াৰ নাম তেওঁলোকে দিছে— সৰ্ব্বহাৰা শ্ৰমিকসকলৰ একাধিনায়কত্ব।" এতেকে আমি মুঠতে তিনি ৰকমৰ ডিক্টেটৰী শাসন দেখিবলৈ পাইছোঁ। কমিউনিষ্টসকলৰ, ফেচিষ্টসকলৰ আৰু সৈন্যবাহিনীৰ শাসন। সৈন্য বাহিনীৰ শাসনৰ ভিতৰত অৱশ্যে বিশেষ নতুনত্ব একোৱেই নাই, ইতিহাসৰ প্ৰথম যুগৰপৰাই সেইটো পৃথিৱীত চলি আহিছে। কমিউনিষ্ট আৰু ফেচিষ্টসকলৰ শাসন ৰীতিটোহে হৈছে পৃথিৱীত নতুন বস্তু। আমাৰ এই যুগৰ দুটি বিশেষ সৃষ্টি।

'এটা কথা সকলোৰে আগতে চকুত পৰে, এই ডিক্টেটৰী তন্ত্ৰ আৰু ইয়াৰ যত প্ৰকাৰ দেখা দিছে এইবোৰৰ মূলত হৈছে গণতন্ত্ৰ আৰু পাৰ্লিয়ামেণ্টৰী শাসন ধৰণৰ বিপৰীত বস্তু। তোমাক কৈছিলোঁ। উনৈশ শতাব্দীটো আছিল গণতন্ত্ৰৰ যুগ। এই শতাব্দীটোতেই ফৰাচী বিপ্লৱে প্ৰচাৰ কৰা 'মানুহৰ অধিকাৰে' গোটেই চিন্তাশীল মানুহৰ মন আকৰ্ষণ কৰিছে, ব্যক্তিগত স্বাধীনতা হৈছিল সকলো মানুহৰে লক্ষ্য। তাৰপৰাই য়ুৰোপৰ প্ৰায় সকলো দেশতে নানাৰূপে পাৰ্লিয়ামেণ্টৰী শাসন ব্যৱস্থাৰ উদ্ভৱ হৈছিল। অৰ্থনীতিৰ বাবতো ইয়াৰপৰাই জন্ম হ'ল 'লেইছেজফেয়াৰ' বা অবাধ বাণিজ্য নীতিৰ। কিন্তু শতাব্দীত অৰ্থাৎ যুদ্ধোত্তৰ যুগত উনৈশ শতিকাৰ সেই বিৰাট ঐতিহ্যৰ অৱসান ঘটিল আৰু ডিক্টেটৰ-তন্ত্ৰই গণতন্ত্ৰৰ ওপৰত জনসাধাৰণৰ শ্ৰদ্ধা-প্ৰতীতি দিনে দিনেই কমি আহিল।

গণতন্ত্ৰৰ পতনৰ লগে লগে প্ৰত্যেক দেশতে তথাকথিত উদাৰপন্থী দলসমূহৰো মৰ্য্যাদা লোপ পালে। এতিয়া আৰু এওঁলোকৰ কিবা গুৰুত্ব আছে বুলিয়েই মানুহে নাভাবে।

কমিউনিষ্ট আৰু ফেচিষ্ট দুয়ো দলেই গণতন্ত্ৰৰ সমালোচনা আৰু বৈপৰীত্য কৰে, কিন্তু পৰস্পৰেই সম্পূৰ্ণ বেলেগ বেলেগ কাৰণত। যিবোৰ দেশ কমিউনিজিম বা ফেচিজিমত বিশ্বাসী নহয় তাতো গণতন্ত্ৰৰ এতিয়া আৰু আগৰ দৰে আদৰ নাই। পালিয়ামেণ্ট একালত যি আছিল আজি আৰু সেইটো নহয়, লোকে ইয়াক আৰু বিশেষ শ্ৰদ্ধা নকৰে। শাসন বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়াসমূহৰ হাতত বিপুল ক্ষমতা তুলি দি কোৱা হৈছে—তোমালোকে যি দৰকাৰ বুলি ভাবা তাকে কৰি যোৱা—পালিয়ামেণ্টৰ মতামত আৰু বিচৰা নহ'ব। এই বহুতোখিনি হৈছে যুগ মাহাত্ম্য, আমি এনে এটি মুহূৰ্ত্তত বসতি কৰিছো য'ত কাম-কাজত দ্ৰুত ব্যৱস্থাৰ আৱশ্যক অথচ নিৰ্ব্বাচিত সদস্যসকলৰ সভাৰ মনত সেই দ্ৰুত ব্যৱস্থা থকায় সম্ভৱ নহয়। জাৰ্ম্মানীয়ে সম্প্ৰতি ইয়াৰ পালিয়ামেণ্টক একেবাৰে বাতিল কৰি দিছে। ফেচিষ্ট শাসনৰ হলে এটি ৰূপ তাত প্ৰতিষ্ঠিত হৈছে যিহতকৈ বেয়া আৰু একোৱেই হ'ব নোৱাৰে। আমেৰিকাৰ যুক্তৰাষ্ট্ৰত সদায়েই ইয়াৰ প্ৰেচিডেণ্টৰ হাতত বহুখিনি ক্ষমতা তুলি দি আহিছে, সম্প্ৰতি তাৰ পৰিমাণ আৰু বঢ়াই দিয়া হৈছে। ইংলেণ্ড আৰু ফ্ৰান্স-এই দুখন মাত্ৰ দেশেই বোধহয় আছে য'ত পালিয়ামেণ্টে আগৰ দিনৰ দৰেই কাম কৰি গৈছে; অন্ততঃ বাহিৰৰপৰা দেখাত; ফেচিষ্টপন্থী কাৰ্য্যকলাপ যিখিনি এওঁলোকৰ আছে; সেইটো ঘটিছে এওঁলোকৰ অধীনত থকা দেশ আৰু উপনিবেশসমূহত। ভাৰতবৰ্ষত আমি বুটিছ ফেচিজিমৰ নমুনা দেখিবলৈ পাইছোঁ। ইণ্ডোচীনত ফ্ৰান্সৰ ফেচিজিমে 'শান্তি প্ৰতিষ্ঠা' কৰিছে। কিন্তু লণ্ডন আৰু পেৰিচত এতিয়া পালিয়ামেণ্ট দিনে দিনে হৈ উঠিছে এটি অন্তঃসাৰ শূন্য বস্তু। এয়া যোৱা মাহৰ ইংলেণ্ডৰ উদাৰপন্থীসকলৰ এজন প্ৰধান লোকে কৈছে—'আমাৰ এই নিৰ্ব্বাচনৰ দ্বাৰা গঠিত পালিয়ামেণ্ট অতি বেগেৰে এটি যন্ত্ৰ বিশেষত পৰিণত হ'ব ধৰিছে; ইয়াৰ কাম হৈছে শাসনত অধিষ্ঠিত এটি সৰু দলৰ আদেশবোৰক লিপিবদ্ধ কৰি ৰখা। ত্ৰুটি বহুল আৰু অসাৰ্থক এটি নিৰ্ব্বাচন ব্যৱস্থাৰে সেই শাসকমণ্ডলী নিৰ্ব্বাচিত।'

ঊনৈশ শতাব্দীত যি গণতন্ত্ৰ আৰু পালিয়ামেণ্টৰ জন্ম হৈছিল এতিয়া সকলোতে তাৰ শক্তি কমি আহিছে। বহুতো দেশত ইয়াক মুকলিভাৱে আৰু নেছ লৈয়া ভাবেই বাতিল কৰিছে, বহুতো দেশত ইয়াৰ আচল তাৎপৰ্যটোৱেই লোপ পাইছে, তাত এইটো এটা 'গহীন আৰু সাৰশূন্য অনুষ্ঠান' বিশেষত পৰিণত হৈছে। এজন ঐতিহাসিকে পাৰ্লিয়ামেণ্টৰ এই অৱনতিক ঊনৈশ শতাব্দীত ৰাজতন্ত্ৰৰ যি অৱনতি ঘটিছিল তাৰ লগত তুলনা কৰিছে। এওঁ কয় ইংলেণ্ডৰ আৰু আন আন দেশৰ ৰজাসকলে প্ৰকৃত ক্ষমতা হেৰুৱাই প্ৰজাৰ অধীন ৰজাত পৰিণত হৈছে; কেৱল কিছু পৰিমাণে লোকদৰ্শক বিষয় ৰূপেহে এতিয়াও তিষ্ঠি আছে। ঠিক এইবোৰৰ দৰে পাৰ্লিয়ামেণ্টও এদিন শক্তিহীন আৰু বৰ্ণহীন প্ৰতীক বিশেষত পৰিণত হ'ব। সেইদিনা বাহিৰিলোকে ইয়াক দেখাত জাকত আৰু জাকজমকীয়া বুলি ভাব হলেও ভিতৰত বস্তু বিশেষ একো নাথাকিব। সেই অৱনতি ইয়াৰ ইতিমধ্যে আৰম্ভ হৈ গৈছে।

কিন্তু এইটো হ'ল কিয়? সম্পূৰ্ণ এটা শতাব্দী বা তাতোকৈও বেছি কাল জুৰি গণতন্ত্ৰ অসংখ্য মানুহৰ জীৱনৰ আদৰ্শ হৈ আছে, তেওঁলোকক প্ৰেৰণা যোগাইছে, হাজাৰ হাজাৰ মানুহে ইয়াৰ কাৰণে প্ৰাণ উৎসৰ্গা কৰিছে, আজি কিয় সেই গণতন্ত্ৰ এনে অনাদৰৰ বস্তু হৈ পৰিছে? ইয়াৰ তলত এটা পৰিবৰ্ত্তনতো কাৰণ নোহোৱাকৈ ঘটা নাই, জনসাধাৰণৰ সাময়িক হুজুগত বা খেয়ালৰ কাৰণে এইটো নিশ্চয় হোৱা নাই। আজিৰ দিনত আমাৰ জীয়াই থকা কথাৰ মাজত এনে কিছুমান বস্তু আছে যিটো উনৈশ শতিকাৰ সেই নিয়মকাৰণ গণতন্ত্ৰৰ লগত খাপ খোৱা নাই। বিষয়টো আকৰ্ষণীয় কিন্তু জটিল। ইয়াৰ বিশদ আলোচনা কৰা ইয়াত সম্ভৱ নহয়—তথাপি দুটা এটা কথা জোৰাক কৈছোঁ।।

গণতন্ত্ৰক মই 'নিয়মানুবৰ্ত্তী' বুলি কৈছোঁ। কমিউনিষ্টবিলাকে কয় এই গণতন্ত্ৰ প্ৰকৃত গণতন্ত্ৰ নহয়, এইটো কেৱল সমাজতন্ত্ৰভেদী মুখা, এটা শ্ৰেণীয়ে আনবোৰৰ ওপৰত প্ৰভুত্ব কৰিছে, এই কথাটো এই আৱৰণেৰে ঢাকি ৰখা হয়। তেওঁলোকে কয় ধনীক শ্ৰেণীৰ যি ডিক্টেটৰী শাসন সমাজত চলিছে তাকেই এই গণতন্ত্ৰৰে ঢাকি ৰখা হৈছিল। প্ৰকৃততে ই আছিল ধনতন্ত্ৰ, ধনলোকৰ শাসন। জনসাধাৰণক যি ভোটৰ অধিকাৰ দিয়া হৈছিল তাকে লৈ বৰ অহংকাৰ কৰা হৈছে, আচলতে তাৰ জনসাধাৰণক চাৰি বা পাঁচ বছৰৰ মূৰত এবাৰ মত প্ৰকাশ কৰিব দিয়া হয়। কোনটো 'ক' নামৰ লোকজনে তেওঁলোকক শাসন আৰু শোষণ কৰিব, নে 'খ' নামৰ লোকজনে কৰিব? কিন্তু সাম যাবেই উঠক শাসক শ্ৰেণীৰ হাতত জনসাধাৰণৰ শোষণ ঠিকেই চলিব। প্ৰকৃত গণতন্ত্ৰ হ'ব পাৰে কেৱল তেতিয়াহে যেতিয়া এই ধৰণৰ শ্ৰেণী বিশেষৰ শাসন আৰু শোষণ লুপ্ত হৈ যাব—একেটি মাত্ৰ শ্ৰেণী পৃথিৱীত থাকিব। কিন্তু সেই সমাজতন্ত্ৰী ৰাষ্ট্ৰৰ প্ৰতিষ্ঠা যদি কৰিব বিচাৰে তেন্তে তাৰ আগতে কিছুদিনৰ কাৰণে 'সৰ্ব্বহাৰা জনগণৰ একাধিনায়কত্ব'ৰ শাসন চলিব লাগিব—যেন প্ৰজাসকলৰ মাজত যিবোৰ ধনীকতন্ত্ৰী আৰু বুৰ্জোৱা শ্ৰেণীৰ লোক আছে তেওঁলোকে মূৰ তুলিব নোৱাৰে, শ্ৰমিকসকলৰ শাসিত সেই ৰাষ্ট্ৰৰ বিৰুদ্ধে চক্ৰান্ত কৰিব নোৱাৰে। এই একনায়কতন্ত্ৰৰেই প্ৰয়োগ দেখা গৈছে ছোভিয়েটবোৰত। সকলো শ্ৰমিক, কৃষক আৰু আন আন 'কৰ্ম্মী' লোকৰ প্ৰতিনিধিৰে সেই ছোভিয়েট গঢ়া। সেই কাৰণেই এই শাসন হৈছে দেশৰ লোকৰ শতকৰা ৯০ বা ৯৫ জনৰ ডিক্টেটৰী শাসন বাকী শতকৰা ৫ বা ১০ জনৰ ওপৰত। এই হ'ল এওঁলোকৰ নীতিৰ কথা। কাৰ্য্যতঃ দেখা গৈছে কমিউনিষ্ট দলে ছোভিয়েটবোৰক চলাইছে, দলটোক চলাইছে কমিউনিষ্টসকলৰ মাজৰ কেইজনমান নেতৃস্থানীয় লোকে। আৰু চেন্সৰ ব্যৱস্থা, চিন্তা আৰু কামৰ স্বাধীনতা আদিৰ কথা যদি কোৱা তাত তেওঁলোকৰ ডিক্টেটৰী শাসন আন যি কোনো ডিক্টেটৰী শাসনৰ দৰেই কঠোৰ। তথাপি এই শাসন শ্ৰমিকসকলৰ হক বিচাৰৰ ওপৰতেই প্ৰতিষ্ঠিত, এতেকে শ্ৰমিকসকলৰ ভালৰ কাৰণে ই চলাই থাকিব। মোৰ কথা ইয়াত শ্ৰমিকৰ বা এক শ্ৰেণীৰ ভালৰ কাৰণে আন শ্ৰেণীৰ শোষণ কৰিব লগীয়া কথাই নাই, লোকক শ্ৰেণী বুলি ধ'ৰে অৱশিষ্টক বধ্য হোৱা নাই। শোষণ যদি ইয়াৰ ধৰ্ম্মত থাকেও তেন্তে সেই শোষণ কৰিছে ৰাষ্ট্ৰই নিজে সকলোৰে ভালৰ কাৰণে। এই কথা মনত ৰাখিবা [illegible]

দিনেই গণতান্ত্ৰিক শাসন প্ৰতিষ্ঠিত নাছিল। ১৯১৭ চনত ই স্বৈৰতন্ত্ৰী ৰাজতন্ত্ৰৰ পৰাই একে জাপে কমিউনিজিমৰ ৰাজ্যত পৰিণত হৈছে।

ফেচিষ্টসকলৰ কথা ইয়াৰ একেবাৰে ওলোটা। আগৰ চিঠিতেই কৈছোঁ, ফেচিষ্টসকলৰ নীতিটো কি সেইটো বুজা টান। তাৰ কাৰণ নিৰ্দিষ্ট নীতি কিবা আছে বুলিয়েই মনে নধৰে। গণতন্ত্ৰত তেওঁলোক বিৰোধী তাত সন্দেহ নাই কিন্তু কমিউনিষ্টসকলে যি কাৰণত গণতন্ত্ৰৰ আপত্তি তোলে, এওঁলোকৰ কাৰণ সেইটো নহয়। কমিউনিষ্টসকলে কয় এই গণতন্ত্ৰ আচল বস্তু নহয়, তাৰ এটি ভুৱা মাত্ৰ। গণতন্ত্ৰৰ গুৰিতে যি মূলনীতি আছে তাৰ সম্বন্ধে ফেচিষ্টসকলৰ যি আপত্তি তাত কেৱল গণতন্ত্ৰক বেয়া ভাষাত গালি শপনি পৰাৰ বাহিৰে একোৱেই নাই। মুচলিনীয়ে ইয়াক 'গলিত মৃতদেহ' বুলি অভিহিত কৰিছে। ব্যক্তিগত স্বাধীনতাৰ নামতো ফেচিষ্টসকলে আপত্তি তোলে। তেওঁলোকৰ মতে ৰাষ্ট্ৰই হৈছে সকলো—ব্যক্তিৰ কোনো মূল্য নাই। (ব্যক্তিগত স্বাধীনতাক কমিউনিষ্টসকলেও বিশেষ মূল্যবান বস্তু বুলি নাভাবে) ঊনবিংশতি শতিকাত গণতান্ত্ৰিক উদাৰ নীতিৰ বাতৰি বহন কৰি আনোতা ঋষিমেটচিনিয়ে, আজি তেওঁৰেই স্বদেশবাসী মুচলিনীক দেখিলে তেওঁ কি কলেহেঁতেন কোনে জানে?

কেৱল কমিউনিষ্ট আৰু ফেচিষ্টসকল নহয়—বৰ্ত্তমান যুগৰ বিশৃঙ্খলা লৈ যি সকলে চিন্তা কৰে, তেওঁলোকৰ বহুতেই আজি আগৰ দিনৰ মানুহক এটা ভোট দিবৰ অধিকাৰ দিয়েই গণতন্ত্ৰৰ কাম শেষ কৰা কথাটোত অসন্তুষ্ট। গণতন্ত্ৰৰ অৰ্থ হৈছে সাম্য সমাজৰ ভিতৰত সকলো সমান হলেহে গণতন্ত্ৰৰ প্ৰতিষ্ঠা হ'ব পাৰে। এইটো এতিয়া সকলোৱে বুজিছে যে কেৱল প্ৰত্যেকজন লোকক ভোট দিয়াৰ অধিকাৰ দিয়া হলেই সমাজত সাম্যৰ সৃষ্টি নহয়। প্ৰাপ্তবয়সৰ প্ৰত্যেক লোকক এতিয়া ভোটৰ অধিকাৰ দিয়া হৈছে, আৰু কত কি হৈছে, তথাপি আজিও মানুহৰ ভিতৰত প্ৰচণ্ড বৈষম্যই দেখা দিছে। প্ৰত্যেক গণতন্ত্ৰক যদি সঁচাকৈয়ে প্ৰতিষ্ঠিত কৰিব বিচাৰে, তেন্তে সেই সাম্যৰ সমাজ আগতে সৃষ্টি কৰিব লাগিব। এই যুক্তি লৈ এওঁলোকে আন বহুতো আদৰ্শ আৰু কৰ্মপ্ৰথা স্থিৰ কৰিছে। মত বহুতো, প্ৰথাও বহুতো। কিন্তু এটা বিষয়ত এওঁলোক সকলোটি একমত যে আজিৰ দিনত যি পাৰ্লিয়ামেণ্ট আমি দেখিছোঁ, এইবোৰৰ দ্বাৰা কোনো কাম হোৱাই সম্ভৱ নহয়।

ফেচিজিমক আৰু অলপ চালিজাৰি চোৱা যাওক। চাওঁচোন এই বিষয়টো কি? তাৰ তলানলা পাওঁনে নাপাওঁ। হিংসাবৃত্তি এওঁলোকে গৌৰৱৰ কথা বুলি ভাবে, শান্তিকামীসকলক ঘৃণা কৰে। "এনচাইক্লোপেডিয়া ইটলীয়ানা"ত মুচলিনীয়ে লেখিছে :—

"চিৰস্থায়ীভাৱে শান্তিৰ প্ৰয়োজন বা উপকাৰিতা আছে বুলি ফেচিজিমে বিশ্বাস নকৰে। এতেকে যুদ্ধৰ বিৰোধিতা কৰাক ই অন্যায় বুলি ভাবে। কাৰণ তাৰ ভিতৰত লুকাই থাকে সংগ্ৰাম কৰিবলৈ অস্বীকৃত আৰু এটা মূলগত কাপুৰুষতা; আত্মোৎসৰ্গৰ সলনি কাপুৰুষতাৰ প্ৰদৰ্শন। যুদ্ধ একমাত্ৰ যুদ্ধই, মানুহৰ কৰ্ম প্ৰচেষ্টাক তাৰ চৰম সীমালৈ নিব পাৰে। এই যুদ্ধক স্বীকাৰ কৰি লবৰ যিসকলৰ সাহস আছে তেওঁলোকৰ ভাগ্যত ই গৌৰৱৰ তিলক পিন্ধাই দিয়ে। আন বিলাক পৰীক্ষা মানুহৰ জীৱনত আহে সেইবোৰ ইয়াৰ পৰিপূৰক মাত্ৰ, ইবোৰে আমাক অৰ্থাৎ ব্যক্তিক জীৱন অথবা মৃত্যুৰ পথৰ সন্মুখীন নকৰে।"

কেচিজিম জাতীয়তাবাদৰ উগ্ৰ উপাসক। কমিউনিজিম আন্তৰ্জাতিক ঐক্যত বিশ্বাসী। কেচিজিমে আনহাতে আন্তৰ্জাতিকতাৰ বিৰোধ কৰে। ৰাষ্ট্ৰক ই দেৱতাৰ আসন দিছে। সেই দেৱতাৰ পূজাৰ বেদীৰ ওচৰত ব্যক্তিৰ সকলো স্বাধীনতা আৰু অধিকাৰ বলি দিবই লাগিব। ৰাষ্ট্ৰৰ বাহিৰত আৰু যিমান দেশ আছে সকলোৰেই তাৰ মানত বিদেশী, প্ৰায় শত্ৰুৰ দৰে। ইহুদীসকলক এওঁলোকে বিদেশী বুলিয়েই জানে, এতেকে তেওঁলোকক সাধাৰণতে বৰ বেয়া ব্যৱহাৰ কৰা হয়। কেচিষ্টসকলে কিছুমান ধনীকতন্ত্ৰীৰ বিৰোধী ধ্বনি উচ্চাৰণ কৰে, কিছুমান বিপ্লৱী মুকত নীতিও তেওঁলোকৰ আছে, তথাপি মূলতঃ তেওঁলোকে ধনী, মালিক শ্ৰেণীৰ আৰু প্ৰগতি বিৰোধীসকলৰেই মিত্ৰ।

কেচিজিমৰ এইবোৰ অদ্ভুত কথা। দৰ্শন বুলি যদি কিবা ইয়াৰ ভিতৰত আছেও তাক ধৰিব পৰা এটা কঠিন কাম। আমি দেখিছোঁ। কেচিজিমৰ উৎপত্তি হৈছিল নীচ প্ৰভুত্বৰ কামনাৰপৰা। তাৰ পিছত কামনাৰ সিদ্ধি যেতিয়া হ'ল, তেতিয়া ইয়াক অৱলম্বন কৰি এটা নিজস্ব দৰ্শন থিয় কৰাৰ চেষ্টা চলিল। কিন্তু গোটেই দৰ্শনটো কিমান কেঁচা তাৰ অলপ নমুনা তোমাক দেখুৱাবলৈ আৰু তোমাক অলপ দোমোজাত পেলাবৰ কাৰণেই কেচিষ্টসকলৰ এজন দাৰ্শনিকৰ লেখাৰপৰা অলপ তোমাক শুনাম। এওঁৰ নাম গিওভান্নি জেণ্টিলে, এওঁক কেচিষ্ট দৰ্শনৰ চৰকাৰী বিশেষজ্ঞ হয়। কেচিষ্ট চৰকাৰৰ এওঁ মন্ত্ৰীৰ পদতো একালত অধিষ্ঠিত আছিল। জেণ্টিলেই কয় গণতন্ত্ৰৰ যি দৰে হয় সেইভাবে নিজস্ব ব্যক্তিৰ বা ব্যক্তিগত সত্তাৰ মাজেদি আত্ম উপলব্ধিৰ চেষ্টা মানুহে কৰা উচিত নহয়। কেচিজিমৰ মত হৈছে, সেইটো তেওঁলোকৰ কৰিবলগীয়া হ'ব জগতৰ আত্মচেতনা স্বৰূপ সেই জ্ঞানাতীত 'অহং'ৰ মাজেদি। (ইয়াৰ মানে যি কি নহওক, তাৰ অৰ্থ বুজা আমাৰ সাধ্যৰ অতীত) এই মতবাদৰ মাজত মানুহৰ নিজস্ব স্বাধীনতা বা ব্যক্তিত্বৰ কোনো স্থান নাই, কাৰণ এওঁলোকৰ মতে ব্যক্তিৰ প্ৰকৃত সত্তা আৰু স্বাধীনতা হৈছে সেইটোৱেই—যি তেওঁ আৰ্জন কৰিব, আন এটা বৃহত্তৰ মাজত, মানে ৰাষ্ট্ৰৰ মাজত নিজক বিলুপ্ত কৰি দি।

'পৰিবাৰ, ৰাষ্ট্ৰ আৰু আত্মাৰ ভিতৰত নিমজ্জিত আৰু আহত হোৱাৰ ফলত আমাৰ ব্যক্তিত্ব লুপ্ত নহয় বৰং উন্নতি হয়, শক্তিশালী হয়, জাগ্ৰত হয়।' আৰু এঠাইত জেণ্টিলেই কৈছে—

'সকলো শক্তিয়েই নৈতিক শক্তি, কাৰণ ইচ্ছাক নিয়ন্ত্ৰণ কৰিবলৈ ই সমৰ্থ। যুক্তি হিচাবে ই নীতি বাক্য বা নীতি বিহকেই প্ৰয়োগ নকৰক।'

এতেকে এইবাৰ বুজিব পাৰিছোঁ।—ভাৰতবৰ্ষত যেতিয়া বৃটিছ চৰকাৰে এবাৰ লাঠি চাৰ্জ কৰে, কি বিপুল পৰিমাণৰ নৈতিক বলেৰেই প্ৰয়োগ কৰা হয় তাত।

আচলতে ইয়াৰ সকলোবোৰেই হৈছে ঘটি যোৱা ঘটনা, পিছত ধীৰ যুক্তিৰে ই তাৰ এটা ব্যাখ্যা দিয়াৰ বা তাক সিদ্ধ কৰাৰ চেষ্টাহে কৰতে আছে। কয় কেচিজিমৰ উদ্দেশ্য হৈছে এখন 'সমবায় ৰাষ্ট্ৰ' প্ৰতিষ্ঠা কৰা। সেই ৰাষ্ট্ৰত যোগ হয় সকলোবোৰেই এক হৈ সাৰ্বজনীন কল্যাণ সাধনৰ চেষ্টা কৰিব। কিন্তু আমিবিলাকে ইটালীত বা আন ক'তো সেই ধৰণৰ ৰাষ্ট্ৰৰ পৰিচয় পোৱা নাই। আন আন কথাৰ,

তন্ত্রী দেশে যিভাবে চলে ইটালীতো ধনীকতন্ত্র প্রায় সেই একে ধৰণেই চলিছে, যদিও কিছুমান বাধ্যবাধকতাৰ ইঙ্গিত সূচনা কৰা হৈছে।

কেচিজিম আন আন দেশতো বিয়পি পৰিছে, এতেকে এইটো এতিয়া স্পষ্ট বুজা গৈছে, এইটো ইটালীৰ কোনো নিজা বিশেষত্ব নহয়। বিশেষ কিছুমান সামাজিক আৰু অর্থনৈতিক অৱস্থা দেশত প্রবল হলেই তাত ইয়াৰ আবির্ভাব হ'ব পাৰে। শ্রমিকসকল কেতিয়া শক্তিশালী হয় ধনীকতন্ত্রী ৰাষ্ট্রক প্রকৃততে ভাঙি দিব বিচাৰে, স্বভাৱতে কেতিয়া ধনীকতন্ত্রী শ্রেণীয়েও নিজক ৰক্ষা কৰিবলৈ চেষ্টা কৰে শ্রমিকসকলৰ তৰফৰ পৰা এই কথা সাধাৰণতে আহে বৰ আর্থিক সংকটৰ সময়ত। মালিক আৰু শাসক শ্রেণীয়ে সাধাৰণ গণতান্ত্রিক নীতিও অর্থাৎ পুলিচ আৰু সেনা-বাহিনীৰ সহায়ত শ্রমিকসকলৰ সেই বিদ্রোহ দমন কৰিবলৈ চেষ্টা কৰে। এইবোৰৰ দ্বাৰা যেতিয়া কাম নহয় তেতিয়া ই আশ্রয় লয় কেচিষ্ট নীতিৰ। সেই নীতি হৈছে জনসাধাৰণৰ মাজত আন্দোলন আৰম্ভ কৰা হয়, এনে কিছুমান ধ্বনি আমদানি কৰা হয় যিবোৰ জনতাৰ কাণত শ্রুতিমধুৰ হয়, কিন্তু ইয়াৰ আচল উদ্দেশ্য হ'ল শ্রমিক সকলৰপৰা বিত্তশালী ধনীক শ্রেণীক ৰক্ষা কৰা। এই আন্দোলনৰ শক্তিৰ যোগান প্রধানকৈ আহে নিম্ন মধ্যবিত্ত শ্রেণীৰপৰা। তেওঁলোকৰ বেছিভাগ লোকেই নিবনুৱা সমস্যাৰ দ্বাৰা পীড়িত ক্ষুব্ধ। ৰাজনৈতিক চেতনাবিহীন আৰু অসংহত শ্রমিক আৰু কৃষক যিসকল আছে তেওঁলোকৰ মাজতো বহুতে ইয়াৰ ফালে আকৃষ্ট হয়, ডাঙৰ ডাঙৰ ধ্বনি শুনি তেওঁলোক মুগ্ধ হয়, ভাবে এইবাৰ তেওঁলোকৰ ভাগ্য ফিৰিব আৰু এই আশাৰে তেওঁলোক আশান্বিত হয়। ডাঙৰ বুর্জোৱাসকলৰ এই আন্দোলনত লাভৰ আশা আছে, এতেকে তেওঁলোকে ইয়াক ধন দি সহায় কৰে। এই আন্দোলনে হিংসা বৃত্তিক ইয়াৰ নীতি বুলি গ্রহণ কৰে—দৈনন্দিন আচৰণত ইয়াক পৰিণত কৰে। তথাপি দেশৰ ধনীকতন্ত্রী চৰকাৰে ইয়াক বহুখিনি ক্ষমা দেখুৱায়। কাৰণ এই আন্দোলন দুয়োৰে শত্রু পক্ষৰ লগত যুদ্ধ কৰিছে, সেই শত্রু হৈছে সমাজতন্ত্রী শ্রমিক দল। দল হিচাপেই আৰু দেশৰ শাসনৰ কর্তৃত্বৰ যদি এওঁ-লোক অধিকাৰী হয় তেন্তে আৰু বেছি কৰি এওঁলোকে শ্রমিক দলৰ সকলো প্রতি চানকে ভাঙি চিঙি পেলায়। সকলো বিপক্ষ দলক ভয় দেখুৱায় স্তম্ভিত কৰে।

এতেকে কেচিজিমৰ জন্ম হয় তেতিয়াই, যেতিয়া সমাজতন্ত্রবাদ আৰু শত্রুৰে যেৰি থকা ধনীকতন্ত্র বাদৰ মাজত সংগ্রাম অতি তীব্র আৰু মাৰাত্মক হৈ উঠে। সমাজৰ মাজত এই সংগ্রামৰ সৃষ্টি ভুল ধাৰণাপৰা নহয়। আমাৰ বর্তমান সমাজৰ মাজত যিবোৰ স্বার্থৰ বিভেদ আৰু বিৰোধ নীহিত আছে তাক ভালদৰে বুজাৰ ফলতেই ইয়াৰ সৃষ্টি। কেৱল অৱজ্ঞা কৰি এই বিৰোধ বিভাৱ নোৱাৰি। বর্তমান অৱস্থা যি সকলৰ কাৰণে দুর্দশাৰ কাৰণ তেওঁলোকে স্বার্থৰ বিভেদটোক বিমান ভালদৰে বুজিব পাৰে, যিটো তেওঁলোকৰ ন্যায্য প্রাপ্য বুলি তেওঁলোকৰ ধাৰণা সেইটোৰপৰা বঞ্চিত হৈ থকাত তেওঁলোকৰ আপত্তিও বাঢ়ি যায়। মালিকশ্রেণীয়ে যিটো হাতত পাইছে তাক এৰি দিয়াৰ ইচ্ছা নাথাকে, এতেকে সংগ্রামৰ তীব্রতা বাঢ়ি যায়। ধনীকতন্ত্রী সকলে যিমান দিন গণতান্ত্রিক প্রতিষ্ঠানবিলাকৰ সহায়ত শাসন ক্ষমতা নিজৰ আয়ত্তত ৰাখিবলৈ আৰু শ্রমিকসকল সদায় বাধিব পাৰিছে,

সিধান দিন গণতন্ত্ৰকো তেওঁলোকে জীয়াই ৰাখে। সেইটো বেজিয়া অসম্ভৱ হৈ উঠে, তেতিয়া ধনীকতন্ত্ৰী সকলে গণতন্ত্ৰক অকামিলা বুলি পৰিত্যাগ কৰে, ফেচিষ্ট নীতিৰ আশ্ৰয় গ্ৰহণ কৰে তেওঁলোকৰ অস্ত্ৰ পীড়ন আৰু ত্ৰাসৰ সৃষ্টিৰ।

বোধহয় একমাত্ৰ ৰুচিয়াৰ বাহিৰে য়ুৰোপৰ আনসকলো দেশতে বিভিন্ন পৰিমাণে ফেচিজিম বৰ্তমান। ইয়াৰ সকলোতকৈ শেষৰ বিকৰ অভিযান দেখা গ'ল জাৰ্মাণীত। ইংলণ্ডলৈকে শাসক শ্ৰেণীৰ ভিতৰত ফেচিষ্ট মতবাদে প্ৰতিষ্ঠা লাভ কৰিছে। ভাৰতবৰ্ষত সদায়েই তাৰ প্ৰয়োগ আমি দেখিবলৈ পাইছোঁ। ধনীক-তন্ত্ৰৰ শেষ অবলম্বন এই ফেচিজিম জগতৰ সন্মুখত যি আজি মুখামুখি হৈ থিয় দিছে আনকি কমিউনিজিমৰ আগত।

কিন্তু ইয়াৰ আন সকলো কথা যদি এৰিও দিওঁ, যি অৰ্থনৈতিক দুৰ্গতিয়ে আজি পৃথিৱীক আগুৰি পেলাইছে, তাৰ অৱসান ঘটোৱাৰ কোনো আশ্বাসবাণীও ফেচিজিমৰ ভিতৰত নাই। জগতৰ, গতি এতিয়া পৰস্পৰৰ ভিতৰত নিৰ্ভৰশীল, ফেচিজিমে ইয়াৰ জাতীয়তাবাদলৈ ঠিক তাৰ বিপৰীত মুখে চলিছে। ধনীকতন্ত্ৰ ক্ৰমান্বয়ে ক্ষয় হোৱাৰ ফলত যিবোৰ সমস্যাৰ উদ্ভৱ হৈছে, ফেচিজিমে তাক আৰু তীব্ৰ কৰি তুলিছে। উগ্ৰ জাতীয়তাবাদৰ নিচাত ই জাতি সমূহৰ ভিতৰত সংঘৰ্ষকে বৰ্দ্ধিত কৰি তুলিছে, তাৰপৰাই বহুত সময়ত উদ্ভৱ হৈছে যুদ্ধৰ।

১৭৭

চীনত বিপ্লৱ আৰু প্ৰতি-বিপ্লৱ

২৬ জুন, ১৯৩৩

য়ুৰোপ আৰু তাৰ হাই-কাজিয়াৰ কথা এৰি আমি এবাৰ আন এখন দেশলৈ যাওঁ ব'লা। তাত অশান্তি ইয়াতকৈও বেছি, ই হৈছে দূৰ প্ৰাচ্য-চীন আৰু জাপান। চীন সম্বন্ধে মোৰ শেষ চিঠিত কৈছোঁ।—চীনৰ নৱজাত প্ৰজাতন্ত্ৰ কি বিষম অসুবিধাৰ মাজত পৰিবলগীয়া হৈছিল। চীনৰ সভ্যতা পৃথিৱীৰ ভিতৰত অন্যতম পুৰণি আৰু শ্ৰেষ্ঠ সভ্যতা, ইয়াৰ ওপৰত আধুনিক প্ৰজাতন্ত্ৰৰ কলম বোৱা হ'ল। দেশখনৰ তেতিয়া এনে অৱস্থা, ই যেন ভাঙি ঠান ঠান হৈ যাব। টুচুন আৰু মহাটুচুন আদি নীতিজ্ঞান শূন্য সৈন্যাধ্যক্ষসকল দেশত বৰ প্ৰবল হৈ উঠিছে, বহুক্ষেত্ৰত তেওঁলোকৰ উৎসাহ আৰু সাহায্য যোগাইছে সাম্ৰাজ্যবাদী জাতিসমূহে। চীনক দুৰ্ব্বল আৰু আত্ম কলহত ব্যস্ত কৰি ৰাখিব পাৰিলেই তেওঁলোকৰ লাভ। এই টুচুনসকলৰ নীতি বুলি কোনো কথা নাছিল, এওঁলোকৰ প্ৰত্যেকৰে লগত আছিল নিজৰ স্বাৰ্থসিদ্ধি। দেশৰ মাজত সৰুস্ৰুৰা গৃহ যুদ্ধ সকলো সময়তে চলিছিল, সেই যুদ্ধত এওঁলোকে ক্ৰমান্বয়ে এবাৰ ইপক্ষক এবাৰ সিপক্ষক আশ্ৰয় কৰিছিল। গৰীব খেতিয়ক সকলৰ ওপৰত জুলুম কৰি এওঁলোকে নিজৰ আৰু নিজৰ সৈন্যবাহিনীৰ জীৱিকাৰ সংস্থান কৰি লৈছিল। চীনৰ স্বাধীনতাৰ কাৰণে গোটেই জীৱন ধৰি চেষ্টা কৰিছিল ডাঃ চুন ইয়াৎ চেনে; দক্ষিণ চীনৰ ক্যাণ্টন চহৰত তেওঁ যি জাতীয় চৰকাৰ প্ৰতিষ্ঠা কৰিলে তাৰ কথা তোমাক কৈছোঁ।

দেশ জুৰি তেতিয়া চলিছে বিদেশী সাম্ৰাজ্যবাদী সকলৰ স্বাৰ্থৰ প্ৰাধান্য—চাংহাই, হংকং প্ৰভৃতি ডাঙৰ ডাঙৰ বন্দৰ-চহৰবোৰ এওঁলোকে জুৰি বহিছে, তাৰ পৰা চীনৰ গোটেই বৈদেশিক বাণিজ্যটোকেই নিয়ন্ত্ৰিত কৰিছে। ডাক্তৰ চুনে চীন এই বৈদেশিকসকলৰ অৰ্থনৈতিক উপনিবেশ বুলি সঁচাকৈয়ে কৈছিল। এজন মালিকৰ তলতীয়াহৈ থকাতোতেই বেয়া কথা, একেলগে বহুতো মালিক হলে আৰু বেয়া কথা। শিল্প প্ৰচেষ্টাৰ কালৰপৰা দেশখনৰ উন্নতি বিধান আৰু দেশত শৃঙ্খলা স্থাপন কৰিবৰ কাৰণে ডাক্তৰ চুনে বিদেশীসকলৰপৰা সহায় প্ৰাৰ্থনা চেষ্টা কৰিলে। বিশেষকৈ তেওঁৰ ভৰসা আছিল আমেৰিকা আৰু বৃটেনৰ ওপৰত। কিন্তু এওঁলোকৰ কোনেও এওঁক সাহায্য নকৰিলে। আন কোনো সাম্ৰাজ্যবাদী দেশেও নকৰিলে। তেওঁলোকৰ সকলোৱেই বিচাৰিছে চীনক শোষণ কৰিবলৈ ইয়াৰ মঙ্গল বিধান বা শক্তি বঢ়োৱাত তেওঁলোকৰ স্বাৰ্থ নাই। দেখি শুনি ১৯২৪ চনত ডাক্তৰ চুনে চোভিয়েট ৰুচিয়াৰ ওচৰত সাহায্য প্ৰাৰ্থনা কৰিলে।

চীনৰ ছাত্ৰ সম্প্ৰদায় আৰু বুদ্ধিজীৱি শ্ৰেণীৰ ভিতৰত কমিউনিজিম গোপনে আৰু বেগেৰে বিয়পি পৰিছিল। ১৯২০ চনত এটি কমিউনিষ্ট দল গঠিত হৈছিল, কোনো চৰকাৰেই ইয়াক প্ৰকাশ্যভাৱে কাম কৰিবলৈ দিব ৰাজী নহয়। এতেকে গুপ্ত কমিটি স্বৰূপে ই কাজ-কাম চলাইছিল। ডাঃ চুন য়ুৎচেন কমিউনিষ্ট নাছিল, তেওঁ আছিল সমাজতন্ত্ৰবাদত বিশ্বাসী। তেওঁৰ বিখ্যাত কিতাপ "জনগণৰ তিনিটা নীতি"ৰ পৰাই তাৰ প্ৰমাণ পোৱা যায়। কিন্তু চীন আৰু আন আন প্ৰাচ্য দেশ-বোৰৰ প্ৰতি চোভিয়েট চৰকাৰে যি উদাৰ আৰু সৰল আচৰণ কৰিছিল তাকে দেখি তেওঁ মুগ্ধ হ'ল—এওঁলোকৰ লগত বন্ধুত্ব স্থাপন কৰিলে। কেইজনমান ৰুচ পৰামৰ্শদাতা নিযুক্ত কৰিলে তেওঁ, এওঁলোকৰ মাজত সকলোতকৈ বিখ্যাত আছিল এজন অতিশয় কৰ্মদক্ষ বলচেভিক, তেওঁৰ নাম বোৰোডিন। বোৰোডিনক পাই কেণ্টনৰ কুওমিনটাঙৰ বহুখিনি শক্তি বাঢ়িল, তেওঁ জনসাধাৰণৰ সমৰ্থনৰ সাহায্যেৰে এটা শক্তিশালী জাতীয়দল সংগঠন কৰিবৰ কাৰণে চেষ্টা কৰিলে। সম্পূৰ্ণ কমিউনিষ্টৰ নীতিৰে কাম কৰিবলৈ তেওঁ চেষ্টা কৰা নাছিল। দলৰ মূলগত জাতীয়তাবাদক তেওঁ অক্ষুণ্ণ ৰাখিলে, কিন্তু এতিয়া কমিউনিষ্টসকল কুওমিনটাঙৰ সভ্য বুলি গণ্য হ'ব পাৰিলে। জাতীয়তাবাদী কুওমিনটাঙ আৰু কমিউনিষ্ট দলৰ মাজত এইভাৱে এটি বে-চৰকাৰী মিত্ৰতাৰ কথা হ'ল। কুওমিনটাঙৰ ৰক্ষণশীল আৰু ধনী সভ্যসকলৰ বহুতে, বিশেষকৈ মাটিৰ মালিক সকলে কমিউনিষ্ট সকলৰ লগত এই মিলাপ্ৰীতি বৰ ভাল চকুৰে নাচালে। কাৰণ ইয়াৰ ভৱিষ্যতে তেওঁলোকৰ কাৰ্য-সূচীৰ প্ৰাধান্য কমাই দিয়া হৈছে বা তেওঁলোকে কৰিব বিচৰা বহুতো কাম ইয়াৰ কাৰণে তেওঁলোকে কৰিব পৰা নাই। এতেকে এই মিত্ৰতাৰ বান্ধোন বেছি টন-কীয়াল নহল; আৰু আমি দেখা পাম, পিছত এটি অতি সংকট মুহূৰ্তত এই মৈত্ৰী সূত্ৰ চিঙি যায় আৰু ই চীনৰ সৰ্বনাশ আনে। যি সকলৰ স্বাৰ্থ পৰস্পৰ বিৰোধী এনে দুটি বা ততোধিক শ্ৰেণীক একে দলৰ ভিতৰত ৰখাটো সকলোতে কঠিন কাম। তথাপি এওঁলোকৰ এই মিত্ৰতা কিছুদিন তিষ্ঠি থাকিল যিমান দিন ইয়াৰ সুফল সমৃদ্ধি দেখা গ'ল, কুওমিনটাঙ আৰু কেণ্টন চৰকাৰৰো শক্তি বহুখিনি বাঢ়ি গ'ল। প্ৰজাসকলক সংগঠন গঢ়িবলৈ উৎসাহ দিয়া হ'ল, দেশত জোৰেৰে বহুতো সংগঠন গঢ়ি উঠিল, শ্ৰমিক সকলৰ ট্ৰেড ইউনিয়ন বহুতো তৈয়াৰ হ'ল। জনসাধা-ৰণৰ সমৰ্থন পাই কেণ্টনৰ কুওমিনটাঙৰ চৰকাৰে আচল শক্তি সঞ্চয় কৰিলে, আৰু ইয়াকে দেখি মাটিৰ মালিক নেতাসকলে ভয় খালে, আৰু কিছুদিন পিছত এই ভয়ৰ কাৰণেই তেওঁলোকে দলটো ভাঙি দিলে।

চীনৰ অৱস্থা বহুতো কাৰণত ভাৰতবৰ্ষৰ অনুৰূপ। অৱশ্যে দুয়ো দেশৰ মাজত মূলতঃ বহুত প্ৰভেদো আছে। চীন যথাৰ্থতে কৃষি প্ৰধান দেশ, অসংখ্য খেতিয়কৰ বাসস্থান। ধনীকতন্ত্ৰী শিল্প কাৰখানা যি আছে ই প্ৰধানতঃ ৫।৬ খন ডাঙৰ চহৰতে সীমাবদ্ধ, তাৰ অৰ্দ্ধেক হৈছে বিদেশীসকলৰ হাতত। দেশৰ কোটি কোটি কৃষক আৰু প্ৰজা বৰ বেছি ভাৰৰ হেঁচাত একেবাৰে ক্ষেপেটা হৈ আছে। মাটিৰ খাজনাৰ হাৰ বৰ বেছি, আৰু ভাৰতবৰ্ষৰ দৰেই চীনতো বছৰৰ এটি দীঘলীয়া সময় কৃষকসকল বাধ্য হৈয়েই বহি থাকিব লগীয়া হয়, কাৰণ তেতিয়া পথাৰত তেওঁলোকে কৰিবলগীয়া কাম একোৱেই নাথাকে। এতেকে এই সময়খিনিক কামত লগাবলৈ আৰু আয় বঢ়াবলৈ তেওঁলোকৰ পক্ষে কুটীৰ শিল্প অতি দৰকাৰী।


চীন বিপ্লব
ম ঙ্গো লি য়া
গোবি মৰুভূমি
পিকিঙ
চাং চো লিন
কোৰিয়া
কিয়াওচাও
চী ন
নানকিঙ
হ্যাংকাও
চুংকিঙ
ফুচাও
হংকং
কাণ্টন জাতীয় চৰকাৰ

এতিয়া অৱশ্যে বহুতো কুটিৰ শিল্প দেশত গঢ়ি উঠিছে। কৃষক সকলৰ মাজত প্ৰায় আধাখিনি লোকৰ নিজৰ পথাৰ-সমাৰ আছে বাকী আধাখিনিয়ে মাটিৰ মালিক সকলৰ অধীনত কাম কৰে। চীন দেশত সেই কাৰণেই সৰু সৰু পথাৰ-সমা-ৰেৰে ভৰা। চীনৰ কৃষকসকলৰ খ্যাতি আছে, তেওঁলোকে মাটিৰপৰা যিমান সম্ভৱ বেছি শস্য উৎপন্ন কৰি লব জানে। এই খ্যাতি কেইবাশ বছৰ ধৰি চলি আহিছে। প্ৰত্যেকৰে যি খিনি মাটি আছে, তাৰ পৰিমাণ অতি সামান্য, এতেকে বাধ্য হৈয়েই চিৰদিন এওঁলোকৰ সেই মাটিৰ পৰা যিমান সম্ভৱ বেছি শস্য উৎপন্ন কৰাৰ চেষ্টা চলে, এতেকে তেওঁলোকে আচৰিত উদ্ভাৱনী কৌশলৰ পৰিচয় দিয়ে; পৰিশ্ৰমো কৰে বেছিকৈ। আধুনিক যুগত কৃষিৰ কামত মানুহৰ শ্ৰম লাঘৱ কৰিবৰ যিবোৰ কল-কায়দা ব্যৱহাৰ কৰা হয় সেইবোৰ একেবাৰেই তেওঁলোকৰ নাছিল। এই কাৰণেই তেওঁলোকৰ ফলৰ অনুপাতে যিখিনি পৰিশ্ৰম কৰা দৰকাৰ তাতকৈ বহু বেছি পৰিশ্ৰম কৰিবলগীয়া হয়।

তথাপি ইমানখিনি বুদ্ধি ইমান কঠোৰ পৰিশ্ৰম কৰিও তেওঁলোকৰ প্ৰায় আধা-লোকৰ ঠিকমতে দুসাজৰ সংস্থান নহয়। ভাৰতবৰ্ষৰ অসংখ্য কৃষকৰ দৰে তেওঁ-লোকৰো জীৱন অনশন, আধাপেটি আদিৰে পাৰ হয়, সেই জীৱন চুটি আৰু বিকাশৰ সুযোগৰ অভাৱেৰে ভৰা। চৰম দুৰ্গতিত এওঁলোকৰ কাল যায়, তাৰ উপৰিও আকৌ আছে নানা বিধ দুৰ্বিপাক, আছে দুৰ্ভিক্ষ, আছে বানপানী, তাৰ আঘাতত লাখ লাখ মানুহ নিশ্চিহ্ন হৈ যায়। বোৰোডিনৰ উপদেশ অনুসৰি ডাক্তৰ চুনৰ প্ৰতিষ্ঠিত চৰকাৰে কৃষক আৰু বনুৱাসকলৰ ৰক্ষাৰ কাৰণে বহুতো নিৰ্দেশ জাৰি কৰিলে। মাটিৰ খাজনা শতকৰা ২৫ ভাগ কমাই দিয়া হ'ল, শ্ৰমিক সকলৰ খাটনিৰ সময় আঠ ঘণ্টাতকৈ বেছি হ'ব নোৱাৰে বুলি স্থিৰ কৰা হ'ল, বেতনৰ এটা সৰ্বনিম্নহাৰো বান্ধি দিয়া হ'ল, কৃষক সকলৰ ইউনিয়ন কৰা হ'ল। জনসাধাৰণে এইবোৰ সংস্কাৰ প্ৰচেষ্টা দেখি স্বভাৱতে আনন্দিত আৰু উৎসাহিত হৈ পৰিল। দলে দলে তেওঁলোকে এই নতুন ইউনিয়নবোৰত গৈ যোগ দিলে, কেণ্টন চৰকাৰক সমৰ্থন কৰিবলৈ ধৰিলে।

এইভাৱে কেণ্টন চৰকাৰে নিজক সুপ্ৰতিষ্ঠিত কৰি ললে। তাৰ পিছত উত্তৰ অঞ্চলৰ টুচুন সকলৰ লগত এখন যুঁজ কৰিবৰ কাৰণে সাজু হ'ল। এখন সামৰিক বিদ্যালয় খোলা হ'ল, দেশত এটি সৈন্যবাহিনী গঢ়ি তোলা হ'ল। কেৱল কেণ্টনতেই নহয়—চীনৰ সকলোতেই, আৰু কিছু পৰিমাণে গোটেই প্ৰাচ্য জগততেই তেতিয়া এটা নতুন চিন্তাধাৰাই মূৰ তুলি উঠিছিল, সেইটো হৈছে ধৰ্ম প্ৰতিষ্ঠানৰ গৌণ কৰাই তাৰ ঠাইত পাৰ্থিৱ প্ৰতিষ্ঠানৰ প্ৰাধান্য প্ৰতিষ্ঠা। ধৰ্ম, বোলা কথাটোৰ যি সংকীৰ্ণ অৰ্থ আমি জানো, সেই অৰ্থত অৱশ্যে চীন কোনো কালতে ধৰ্ম-প্ৰাণ দেশ নাছিল। এইবাৰ ইয়াক আৰু ধৰ্মনিৰপেক্ষ কৰা হ'ল। বিদ্যা শিক্ষাৰ কথাটো ধৰ্ম প্ৰধান আছিল, সেইটোকো ধৰ্ম নিৰপেক্ষ কৰা হ'ল। পুৰণি কালৰ বহুতো মন্দিৰকে এতিয়া বিভিন্ন কামত লগোৱা হৈছে, তাৰপৰাই এই কথাটোৰ ভাল প্ৰমাণ পোৱা যায়। ক্যাণ্টনত পুৰণি কালৰ এটা প্ৰসিদ্ধ দেৱ মন্দিৰ আছিল, এতিয়া সেই ধৰ্ম মন্দিৰটোক পুলিচ সকলৰ শিক্ষাকেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। আৰু এঠাইত কিছুমান দেৱমন্দিৰক পৰিণত কৰা হৈছে শাক পাচলি বেচা দোকানত।

১৯২৫ চনৰ মাৰ্চ মাহত ডাক্তৰ চুন ইয়াৎ চেনৰ মৃত্যু হয়। কিন্তু কেণ্টন

চৰকাৰে তেতিয়াও শক্তি সঞ্চয় কৰি চলিছে, বোৰোডিন তেওঁলোকৰ উপদেষ্টা। ইয়াৰ অলপ দিন পিছতে এনে কিছুমান ঘটনা ঘটিল যাৰ ফলত চীনৰ জনসাধাৰণ বিদেশী সাম্ৰাজ্যবাদীৰ ওপৰত, বিশেষকৈ বৃটিছ সকলৰ ওপৰত খঙত জ্বলি পকি উঠিল। চাংহাইৰ কাপোৰ কলবিলাকত ধৰ্মঘট হ'ল, ১৯২৫ চনৰ মে মাহত এটা শোভাযাত্ৰাত এজন শ্ৰমিকৰ মৃত্যু হ'ল। তাৰ নামেৰে এটি বিৰাট স্মৃতি উৎসৱৰ আয়োজন কৰা হ'ল। তাকেই উপলক্ষ্য কৰি ছাত্ৰসকল আৰু শ্ৰমিক-সকলে এটা সাম্ৰাজ্যবাদ বিৰোধী শোভাযাত্ৰা বাহিৰ কৰিলে। এজন বৃটিছ পুলিচ কৰ্মচাৰীয়ে তেওঁৰ তলত থকা শিখ পুলিচৰ বাহিনীক এই জনতাৰ ওপৰত গুলী চলাবলৈ আদেশ দিলে, আদেশটো আছিল "প্ৰাণ বধ কৰাৰ কাৰণে গুলী কৰা"। কেইজনমান ছাত্ৰ গুলীত মৰা পৰিল। চীনৰ সকলোতে বৃটিছৰ বিৰুদ্ধে তীব্ৰ ক্ৰোধৰ জুই জ্বলি উঠিল। ইয়াৰ পিছত আৰু এটা কথাত অৱস্থা আৰু বেয়া হ'ল, ঘটনাটো ঘটে ১৯২৫ চনৰ জুন মাহত, কেণ্টনৰ বিদেশী এলেকাত। তাত চীনাসকলৰ এটা জনতাৰ ওপৰত তাৰ বেছি ভাগেই আছিল ছাত্ৰ—মেচিন গান চলোৱা হ'ল। ঠাইডোখৰ আছিল চামীননামৰ। এই ঘটনাটিৰ নাম দিয়া হ'ল "চামীনৰ হত্যাকাণ্ড" বৃটিছসকলক ইয়াৰ বাবে বিশেষকৈ দায়ী কৰা হ'ল। কেণ্টনৰ ঘোষণা কৰা হ'ল বৃটিছ বস্ত্ৰ বৰ্জন কৰা। বহুদিন ধৰি হংকঙৰ লগত বিমান ব্যৱসায় বাণিজ্য চলিছিল সকলো বন্ধ হৈ ৰ'ল। বৃটিছ কাৰবাৰবোৰৰ আৰু বৃটিছ চৰকাৰৰ ভীষণ ক্ষতি হ'ল। বোধহয় তুমি জানা, হংকং হৈছে বৃটিছসকলৰ অধিকাৰত থকা দক্ষিণ চীনৰ এখন চহৰ। ঠাইখন কেণ্টনৰ নিচেই ওচৰতে—ইয়াৰ যোগেদি বিপুল পৰিমাণৰ ব্যৱসায় বাণিজ্য চলি থাকে।

ডাঃ চেনৰ মৃত্যুৰ পিছত কেণ্টন চৰকাৰৰ ৰক্ষণশীল দক্ষিণপন্থী আৰু প্ৰগতিকামী বামপন্থী দলৰ ভিতৰত হাই-কাজিয়া চলিবলৈ ধৰিছে। ১৯২৬ চনৰ মাজ ভাগত চিয়াং কাইচেক্ নামে এজন দক্ষিণ পন্থী লোক সেনাপতি হ'ল, কমিউনিষ্টসকলক তেওঁ চৰকাৰৰপৰা ঠেলি বাহিৰ কৰিবলৈ আৰম্ভ কৰিলে। তেতিয়াও কিন্তু দুয়ো-দলে কিছুপৰিমাণে এক হৈয়েই কাম কৰি গৈছিল, যদিও পৰস্পৰক তেওঁলোকে মুঠেই বিশ্বাস নকৰিছিল। ইয়াৰ পিছত আৰম্ভ হ'ল কেণ্টনৰ সৈন্যবাহিনীৰ উত্তৰ অঞ্চললৈ অভিযান, তাৰ সকলো টচুন সকলক তেওঁলোকে যুদ্ধ কৰি বিতা-ড়িত কৰিলে, গোটেই চীন জুৰি একেটি মাত্ৰ চৰকাৰ প্ৰতিষ্ঠিত কৰিব, এয়ে তেওঁলোকৰ সংকল্প। উত্তৰ অঞ্চলত এওঁলোকৰ এই অভিযান এটা আচৰিত ঘটনা। দুদিন নৌ যাওঁতেই গোটেই পৃথিৱীৰ দৃষ্টি ইয়াৰ কালে আকৃষ্ট হ'ল। যুদ্ধ প্ৰকৃততে বিশেষ নহল, দক্ষিণ সৈন্যবাহিনীয়ে অতি বেগেৰে ইখনৰ পিছত সিখনকৈ জয়লাভ কৰি আগুৱাই গ'ল। উত্তৰ অঞ্চলত অৱশ্যে সংহতি বুলি একেবাৰেই নাছিল। কিন্তু এই দক্ষিণ পন্থী চৰকাৰৰ শক্তিৰ প্ৰকৃত উৎস আছিল সেতিয়াৰ প্ৰজাসকলৰ প্ৰীতি। সৈন্যবাহিনীৰ আগে আগে যায় এজন প্ৰচাৰক, আৰু আন্দো-লনকাৰীৰ দল, এওঁলোকে কৃষক আৰু মজুৰৰ ইউনিয়ন গঢ়ি গঢ়ি আগুৱাই যায় তেওঁলোকক বুজাব কেণ্টন চৰকাৰৰ তলালৈ আহিব পাৰিলে তেওঁলোকে কিমান সা-হুবিধা লাভ কৰিব। এতেকে যি চহৰত বা গাঁৱত গৈ সৈন্যবাহিনী উপস্থিত

হয়তো তাতেই প্ৰজাসকলে তেওঁলোকক গানেৰে অভ্যৰ্থনা কৰি নিবে, বিমান পাৰে সহায় কৰে। কেণ্টনৰ সৈন্যৰ লগত যুদ্ধ কৰিবলৈ যি সৈন্য পঠোৱা হৈছে, তেওঁলোকে যুদ্ধ প্ৰায় নকৰেই। বহু সময়ত চৌপোৱা-টুপজি লৈ তেওঁলোকৰ লগত যোগ দিয়ে। ১৯২৬ চন শেষ হোৱাৰ আগতে জাতীয়তাবাদী বাহিনী আধা চীন পাৰ হৈ আগুৱাই গ'ল, ইয়াংচি নদীৰ পাৰত বিশাল চহৰ হ্যাংকাওলৈ আহিলে, হ্যাংকাওৰ নতুন নাম হ'ল উহান। উত্তৰ অঞ্চলৰ যুদ্ধ ব্যৱসায়ীসকল পৰাজিত আৰু বিতাৰিত হল; আৰু সাম্ৰাজ্যবাদী জাতীসমূহে অকস্মাত আৱিষ্কাৰ কৰিলে যে নতুন আৰু উগ্ৰ উৎসাহী এখন জাতীয়তাবাদী চীন দেশ তেওঁলোকৰ সন্মুখত আহি উপস্থিত হৈছেহি। তেওঁলোকৰ লগত সমানে ই মৰ্যাদাৰ দাবী কৰিছে। তেওঁলোকৰ ৰঙা চকু সহ্য কৰিবলৈ বিচৰা নাই এই কথা অনুভৱ কৰি তেওঁলোকৰ দুখ আৰু ক্ষোভৰ অন্ত নপৰিল।

১৯২৭ চনৰ প্ৰথম ভাগত চীন সকলৰ লগত বৃটিছসকলৰ বিৰোধ হ'ল। হাংকাওত বৃটিছ সকলৰ যি একাজলি মাটি আছিল, জাতীয়তাবাদী সকলে সেইখোৰ দখল কৰি লব বিচাৰিছিল। সাধাৰণ অৱস্থাত চীনাসকলে এনেধৰণৰ উগ্ৰ মনোভাব দেখুৱালে তাকে লৈ যুদ্ধ হলহেঁতেন, বৃটিছ চৰকাৰে তেওঁলোকৰ ঔদ্ধত্যিক শাস্তি দি ঠাণ্ডা কৰি দিলেহেঁতেন, ভয় দেখুৱাই তেওঁলোকৰপৰা আৰু কিছু ক্ষতি পূৰণ আৰু কিছু ঠাই আদায় কৰি ললেহেঁতেন। আমি দেখিছো ১৮৪০ চনৰ সেই আফিম যুদ্ধৰ পিছৰপৰাই এইটোৱেই আছিল তাৰ ধৰাবন্ধা নিয়ম। কিন্তু দেখা গল সময় সলনি হৈ গৈছে, তেওঁলোকৰ সন্মুখত আহি থিয় দিছে এখন নতুন চীন। এতেকে চীনৰ ইতিহাসত সেয়ে প্ৰথম বাৰৰ বাবে পৰিবৰ্তন ঘটিল, এইবাৰ তেওঁলোকে এই নতুন চীনক প্ৰসন্ন কৰি ৰাখিবৰ কাৰণে নীতি গ্ৰহণ কৰিলে। হাংকাওৰ মাটি লৈ যি বিবাদ সি সৰু কথা, তাৰ মীমাংসাও সহজতে কৰি পেলোৱা হ'ল। কিন্তু হাংকাওৰ নিচেই ওচৰতে আৰু জাতীয়তাবাদী বাহিনী যি পথেদি আগুৱাই আহিছে তাৰ ঠিক বাটতে আছে চাংহাইৰ বিৰাট বন্দৰ। চীনত বিদেশী সকলৰ যিমান ঠাই আছে তাৰ ভিতৰত এইখনেই আটাইতকৈ ডাঙৰ আৰু সকলোতকৈ মূল্যবান। চাংহাইৰ ভাগ্যৰ ওপৰতে বিদেশী সকলৰ বিপুল পৰিমাণৰ কাৰেণী স্বাৰ্থৰ ভাগ্য নিৰ্ভৰ কৰিছে। গোটেই চহৰখন, অৰ্থাৎ তাৰ বহু এলেকা আছিল বিদেশীসকলৰ অধীনত, চীনা চৰকাৰ য'ত প্ৰকৃততে কোনো হাতেই নাই। জাতীয়তাবাদী সৈন্যসকল ক্ৰমে ওচৰ চাপি আহিছে দেখি চাংহাইৰ এই বিদেশীসকল আৰু তেওঁলোকৰ দেশৰ চৰকাৰসমূহে বৰ উদ্বিগ্ন হৈ পৰিল, চাৰিও কালৰপৰা মৰা-ধপৰা কৰি বহুতো যুদ্ধ-জাহাজ আৰু সৈন্য চাংহাই বন্দৰত গৈ উপস্থিত হ'ল। বিশেষ কৰি বৃটিছ চৰকাৰে এটা বৰ ডাঙৰ অভিযানকাৰী বাহিনী পঠালে, তাৰ কিছুমান আছিল ভাৰতীয় সৈন্য।

১৯২৭ চনৰ জানুৱাৰী মাহৰ প্ৰথম ভাগতে এওঁলোক চাংহাইত গৈ উপস্থিত হ'ল। জাতীয়তাবাদী চৰকাৰৰ এতিয়া ৰাজধানী হৈছে হাংকাও বা উহান, এওঁলোকে এটা বৰকঠিন সমস্যাত পৰিল, এতিয়া কি কৰা যায়, আৰু আগুৱাই যাব নে নোৱাৰ, চাংহাই দখল কৰিবলৈ নকৰে। ইমান দিন ইমান সহজে জয় লাভ কৰি আহি তেওঁলোকৰ সাহস আৰু উৎসাহ বাঢ়ি গৈছে, চাংহাই বন্দৰটোও মূল্যবান, ধনৰ ফালৰ লোভ সামান্য

টান। ইকালে আকৌ ইমান দিন ধৰি তেওঁলোকে কেৱল ক্ৰমানুয়ে আগুৱাই হে চলিছে, প্ৰায় ৫০০ মাইলবো বেছি ঠাই দখল কৰি আহিছে, কিন্তু সেই ঠাইত নিজৰ অধিকাৰ বা শাসন প্ৰতিষ্ঠিত কৰাৰ ব্যৱস্থা কৰি অহা নাই। চাংহাই আক্ৰমণ কৰিলে হয়তো বিদেশী শক্তি সমূহৰ লগত কাজিয়া হ'ব, আৰু তাৰ ফলত যিখিনি ইমান দিনে জয় কৰি আহিছে, সেই খিনিও হস্তচ্যুত হ'ব। বোৰোডিনে উপদেশ দিলে—খুব সাৱধানে আগবঢ়া আগতে ঘৰ চম্ভালি লোৱা। তেওঁৰ মত আছিল জাতীয়তাবাদীসকলৰ এতিয়া উচিত হ'ব চাংহাইৰপৰা দূৰত আঁতৰি থকা, চীন দেশৰ দক্ষিণাৰ্দ্ধ ইতিমধ্যে তেওঁলোকৰ দখললৈ আহিছে, তাত নিজৰ আসন দৃঢ় কৰি লোৱা, আৰু উত্তৰ অঞ্চলত প্ৰচাৰ কাৰ্য চলাই অভিযানৰ পথ সহজ কৰি লোৱা। তেওঁৰ আশা আছিল—এইদৰে চলিলে অলপ দিনৰ ভিতৰতে, চীনৰ সকলোতে অৱস্থা তেওঁলোকৰ অনুকূলে আহিব, তাৰ পিছত যদি জাতীয়তাবাদীসকলে অভিযান কৰে, সকলোতে তেওঁলোকে অভ্যৰ্থনা লাভ কৰিব। তেতিয়া চাংহাই দখল কৰি পিকিং পৰ্যন্ত আগুৱাই যাবলৈ আৰু বিদেশী সাম্ৰাজ্যবাদী সকলৰ সমুখা সমুখি হৈ বুকু ফুলাই থিয় হ'বলৈ, সেইটোৱেই হ'ব ঠিক সময়। বোৰোডিন বিপ্লৱী বোৰোডিন; তেওঁ এনেদৰে সাৱধানে আগুৱাবলৈ পৰামৰ্শ দিলে; কাৰণ পৰিস্থিতিৰ সকলো ফালৰপৰা বিবেচনা কৰি চোৱাৰ কাৰণে অভিজ্ঞতা তেওঁৰ আছিল। কিন্তু কুওমিনটাঙৰ দক্ষিণপন্থী নেতাসকল আৰু বিশেষকৈ প্ৰধান সেনাপতি চিয়াংকাইচেক্ তাত ৰাজী নহয়। এওঁলোকে জেদ পাতিলে, চাংহাই তেওঁলোকে আক্ৰমণ কৰিবই। চাংহাই দখল কৰিবলৈ তেওঁলোকৰ ইমান আগ্ৰহ কিয়? তাৰ প্ৰকৃত কাৰণটো বুজিব পৰা গ'ল পিছতহে, যেতিয়া কুওমিনটাঙ ভাঙি দুটুকুৰা হৈ গ'ল। কৃষকসকলৰ আৰু শ্ৰমিকসকলৰ ইউনিয়নবোৰৰ শক্তি দিনে দিনে বাঢ়ি গ'ল। এই দক্ষিণ পন্থী নেতাসকলৰ এইটো পছন্দ হোৱা নাছিল। সেনাপতি সকলৰ বহুতেই আছিল জমিদাৰ বা মাটিৰ মালিক। এতেকে এওঁলোকে স্থিৰ কৰিছিল, এই ইউনিয়নবিলাকক ভাঙি—চিঙি পেলাবই লাগিব, তাতে যদি দল ভাঙি দুভাগ হয় হওক জাতীয়তাবাদী সকলৰ সংকল্প সিদ্ধিৰ বাটত অন্তৰায় হয় হওক, আপত্তি একো নাই। চাংহাই আছিল চীন দেশৰ ডাঙৰ ডাঙৰ বুৰ্জোৱাসকলৰ এটা প্ৰধান কেন্দ্ৰ, এই দক্ষিণপন্থী সেনাপতি সকলৰ আশা আছিল, দলৰ ভিতৰত যি সকল বেছি আগবঢ়া বা উগ্ৰপন্থী তেওঁলোকৰ লগত—বিশেষকৈ কমিউনিষ্টসকলৰ লগত তেওঁলাকৰ যুদ্ধ হলে, সেই-যুদ্ধত এওঁলোকে টকা দি আৰু আন আন উপায়েৰে সহায় কৰিব। আৰু সেই ধৰণৰ যুদ্ধ যদি হয়েই তেতিয়া চাংহাইৰ যি সকল বিদেশী বেংকৰ মালিক আৰু শিল্পপতি আছে তেওঁলোকেও তেওঁলোকক সহায় কৰিব এইটোও তেওঁলোকৰ ভালদৰে জনা আছিল।

এতেকে তেওঁলোকে চাংহাই আক্ৰমণ কৰিলে। ১৯২৭ চনৰ ২২ মাৰ্চ তাৰিখে চহৰৰ চীনা অঞ্চল তেওঁলোকৰ দখললৈ আহিল, বিদেশী সকলৰ যি বোৰ সংৰক্ষিত অঞ্চল আছিল সেইবোৰ তেওঁলোকে আক্ৰমণ নকৰিলে। চাংহাই অঞ্চলবোৰতেও এওঁলোকে বিশেষ যুদ্ধ কৰিবলগীয়া নহ'ল—বিপক্ষদলৰ সকলো সৈন্য জাতীয়তাবাদী সকলৰ লগত আহি যোগ দিলে, অৰ্থাৎ বোলটোই প্ৰকৃত জাতীয়তাবাদীসকলৰ

পক্ষে হৈ ব্যাপক ধৰ্মঘট ঘোষণা কৰিলে, এতেকে চাংহাইত যি চৰকাৰ বৰ্তমান আছিল, তাৰ আৰু যুদ্ধ কৰিবৰ শক্তিয়েই নাথাকিল। ইয়াৰ দুদিন পিছতে বিশাল চহৰ নানকিংও জাতীয়তাবাদী বাহিনীৰ দখলত আহি পৰিল। তাৰ পিছত আহিল কুওমিনটাঙৰ-আন্দোলন। কুওমিনটাঙ অতি বাওপন্থী আৰু দক্ষিণপন্থী এই দুভাগত ভাগ হৈ গ'ল। জাতীয়তাবাদীসকলৰ জয়লাভৰ পিছানেতে অন্ত পৰিল, চীনৰ সৰ্বনাশ আসন্নপ্ৰায় হ'ল। বিপ্লৱৰ যুগ শেষ হৈ গৈছে, এইবাৰ আৰম্ভ হ'ল প্ৰতি বিপ্লৱৰ পাল।

চিয়াংকাইচেকে চাংহাই আক্ৰমণ কৰিছিল, হাংকাও চৰকাৰৰ বহুতো সভ্যৰ মতৰ বিৰুদ্ধে। এই দুয়ো দলে দুয়োৰে বিৰুদ্ধে চক্ৰান্তত লাগি গ'ল। হাংকাওৰ যিসকল আছিল, তেওঁলোকে চেষ্টা কৰিব ধৰিলে, সৈন্যবাহিনীৰ ওপৰত চিয়াঙৰ যি প্ৰতিপত্তি আছে তাক নষ্ট কৰি দিবলৈ। সেইটো কৰিব পাৰিলেই চিয়াঙক আঁতৰাই দিব পৰা যায়। চিয়াঙে ইফালে নানকিঙত এটি প্ৰতিদ্বন্দ্বী চৰকাৰ প্ৰতিষ্ঠা কৰিলে। এই সকলো ঘটনাই ঘটিল চাংহাইৰ জয়ৰ পিছত কেইটামান মাহৰ ভিতৰতে। যি হাংকাও চৰকাৰৰ তেওঁ অন্তৰ্ভুক্ত আছিল, তাৰ বিৰুদ্ধে চিয়াঙে বিদ্ৰোহ কৰিছে, এইবাৰ তেওঁ দেখা দেখিকৈ নিজৰ স্বৰূপ প্ৰকাশ কৰিলে, কমিউনিষ্ট, বাওপন্থী, ট্ৰেডইউনিয়ন কৰ্মী সকলোৰে বিৰুদ্ধেই যুদ্ধ আৰম্ভ কৰি দিলে। যি শ্ৰমিকসকলে ধৰ্মঘট কৰি তেওঁৰ চাংহাই জয় সহজ কৰি দিছিল, আনন্দত উজ্জ্বল হৈ তেওঁক অভ্যৰ্থনা কৰি নিছিল, তেওঁলোককেই এইবাৰ তেওঁ অত্যাচাৰ কৰি ধ্বংস কৰিবলৈ ধৰিলে। অসংখ্য লোকক গুলী কৰি মৰা হ'ল। বহুলোকৰ মূৰ কাটি পেলোৱা হ'ল। হাজাৰ হাজাৰ লোকক গ্ৰেপ্তাৰ কৰি জেলত সুমোৱা হ'ল। চাংহাইৰ লোকসকলে ভাবিছিল, জাতীয়তাবাদীসকলে তেওঁলোকৰ কাৰণে স্বাধীনতাৰ বাণী বহন কৰি আনিছে, দুদিন নৌ যাওঁতেই সেই স্বাধীনতা পৰিণত হ'ল এক ৰক্তলোলুপ বিভীষিকাত।

এইটো ১৯২৭ চনৰ এপ্ৰিল মাহৰ কথা। এই এপ্ৰিল মাহতেই একে দিনাই পিকিঙৰ চোভিয়েট দূতাবাসত আৰু চাংহাইত যি চোভিয়েট কনচাল আছিল তেওঁৰ অফিচলৈ গৈ চীনাসকলে খেৰাও কৰিলে। এইটো বেচ বুজিব পৰা গ'ল, উত্তৰ চীনৰ সমৰ নায়ক চাংচেলিনৰ লগত চিয়াংকাই চেক্ একযোগ হৈ কাম কৰিছে, অথচ জনসাধাৰণে জানিছিল তেওঁৰ লগতেই চিয়াঙৰ যুদ্ধ চলিছে। পিকিং আৰু চাংহাইৰ কমিউনিষ্ট আৰু প্ৰগতিবাদী শ্ৰমিকসকলক একেবাৰে নিচিহ্ন কৰি পেলোৱা হ'ল। সাম্ৰাজ্যবাদী জাতিসমূহ অৱশ্যে এই কথাত বৰ সন্তোষিত হ'ল। তেওঁলোকৰতো আনন্দ পোৱাৰ কথাই, কাৰণ ইয়াৰ ফলত চীনা জাতীয়তাবাদৰ ভিতৰত ভাঙনে ধৰিলে, শক্তি কমি আহিল। চাংহাইত এই বিদেশীসকলৰ যি প্ৰতিনিধি আছিল, তেওঁলোকৰ লগত চিয়াংকাই চেকে সহযোগিতা কৰিবলৈ ধৰিছিল। তোমাৰ নিশ্চয় মনত আছে, ইয়াৰ প্ৰায় একে সময়তে, ১৯২৭ চনৰ মে মাহত, বৃটিছ চৰকাৰে লণ্ডনত থকা চোভিয়েট প্ৰতিষ্ঠানসমূহৰ ওপৰত 'আৰ্কছ খানাতলাচী' চলাইছিল, আৰু তাৰ পিছতেই ৰাছিয়াৰ লগত সকলো সম্পৰ্ক ছেদ কৰিছিল।

এইভাৱে মাত্ৰ এটা কি দুটা বছৰৰ ভিতৰত চীনৰ অৱস্থা সম্পূৰ্ণ সলনি হ'ল। কুওমিন্‌টাঙ আছিল এটি অখণ্ড জয়দীপ্ত দল, গোটেই চীনৰ প্ৰতিনিধি, যুদ্ধৰ পিছত যুদ্ধ ই হেলাৰঙে জয় কৰি আহিছে, বিদেশীসকলো ইয়াৰ ভয়ত ত্ৰস্তমান। ই এতিয়া পৰিণত হ'ল কেইবাটাও ভঙা-ছিঙা শক্তিহীন উপদলত, তেওঁলোকে প্ৰত্যেকে প্ৰত্যেকৰ লগত যুঁজিছে, কুওমিনটাঙৰ শক্তিৰ উৎস আছিল যি কৃষক আৰু বনুৱাসকল, তেওঁলোককেই এতিয়া উৎপীড়ন কৰিবৰ ধৰিছে, অত্যাচাৰ কৰি বধ কৰিছে। চাংহাইত যি বিদেশীসকল আছিল তেওঁলোকে আকৌ স্বস্তিৰ নিশ্বাস পেলাই জী উঠিল। অতি উদাৰচিত্তে এজনক অন্য দলৰ লগত যুঁজিবলৈ সহায় কৰিবলৈ ধৰিলে, বিশেষকৈ শ্ৰমিক সকলক পীড়ন আৰু নিৰ্যাতন কৰাৰ এনে চমৎকাৰ আৰু লাভজনক খেল খেলাত। চাংহাইৰ (কেৱল সিয়ে নহয়-চীনৰ সকলোতে) কাৰখানাবোৰত এই যে শ্ৰমিকসকলে কাম কৰিছিল, মালিকসকলে এতিয়া ভয়ানক ৰূপে শোষণ কৰিছে, এওঁলোকে কিভাৱে খায় আৰু থাকে অতকৈ শোচনীয় আৰু একেবাৰেই হ'ব নোৱাৰে। ট্ৰেডইউনিয়নৰ কেণ্টনত এওঁলোকৰ শক্তি বাঢ়িছিল, ইতিমধ্যেই এওঁলোক মালিকৰ হাত মুচৰি অলপ বেছি কৰত মাহিলি বেতন আদায় কৰি লৈছিল। এতেকে কাৰখানাৰ মালিকবোৰৰ কোনেও সেই ট্ৰেডইউনিয়নবোৰৰ ওপৰত প্ৰসন্ন নাছিল, সেই মালিক জাতত য়ুৰোপীয়, জাপানী বা চীন যিয়েই নহওক।

চীনৰ পৰিস্থিতিৰ গতি বিকালে চাল খাইছে, তাৰ কাৰণে মস্কোত সকলোৱে বোৰোডিনৰ ওপৰত অসন্তুষ্ট হৈ পৰিল। ১৯২৭ চনত বোৰোডিন ৰুচিয়ালৈ উভতি গ'ল। তেওঁ যোৱাৰ লগে লগেই হাংকাওত যি বামপন্থী দল আছিল সেইটো খানবান হৈ গ'ল। নানকিং চৰকাৰে এতিয়া সম্পূৰ্ণৰূপে কুওমিনটাঙৰ বিৰুদ্ধে আৰু গোটেই বামপন্থী আৰু শ্ৰমিকসকলৰ বিৰুদ্ধে যি অভিযান চলাইছিল সিও আগুৱাই যাব ধৰিলে। এই সময়ত যিসকলে চীন এৰি খানবান হৈ গ'ল বা চীনৰ পৰা বিতাৰিত হ'ল তেওঁলোকৰ মাজত আছিল মেডেম চুন, মহান নেতা চুন-ইয়েৎ-চেনৰ শ্ৰদ্ধেয়া বিধবা পত্নী। অতিশয় শোকাতুৰ কণ্ঠৰে তেওঁ কলে—চীনৰ স্বাধীনতাৰ কাৰণে মোৰ স্বামীয়ে যি বিৰাট আয়োজন কৰিছিল এই সময়ৰ নায়ক আৰু আন সকলে মিলি তাক নষ্ট কৰি পেলালে। অথচ তেতিয়াও এওঁলোকে ডক্টৰ চুন-ইয়েৎ চেনৰ বিখ্যাত নীতিবোৰকেই মুখত উচ্চাৰণ কৰিছিল; জাতীয়তা, প্ৰজাতন্ত্ৰ, সামাজিক সুবিচাৰ।

আকৌ চীন এখন বিশৃঙ্খলাৰ ৰাজ্যত পৰিণত হ'ল, তাৰ সকলোতে সমৰ নায়ক আৰু সেনাপতিসকলে নিজৰ ভিতৰত যুঁজ কৰি ফুৰিব ধৰিলে। কেন্টন নানকিং চৰকাৰৰ লগত সম্পৰ্ক ছেদ কৰি দক্ষিণ চীনত নিজৰ চৰকাৰ প্ৰতিষ্ঠা কৰিলে। ১৯২৮ চনত পিকিং চহৰ নানকিং চৰকাৰৰ হাতত পৰিল। ইয়াৰ নাম সলনি কৰি পিপিং ৰখা হ'ল, ইয়াৰ অৰ্থ হ'ল 'উত্তৰ অঞ্চলৰ শান্তি।' পিকিং নামটোৰ অৰ্থ আছিল 'উত্তৰ অঞ্চলৰ ৰাজধানী' কিন্তু তেতিয়া আৰু ই ৰাজধানী নহয়।

পিকিঙক এতিয়াৰপৰা আৰু পিপিং বুলিব লাগিব। পিপিঙৰ পতনৰ পিছতো কিন্তু দেশৰ বহুত ঠাইত গৃহযুদ্ধ চলিব ধৰিলে। কালক্ৰমে ইয়াৰ [illegible]

চৰকাৰ প্ৰতিষ্ঠিত কৰিছিল, কিন্তু উত্তৰ অঞ্চলত সমৰনায়কসকলে যাৰ যি ইচ্ছা তাকে কৰি ফুৰিব ধৰিলে, নিজৰ ভিতৰত হাই-কাজিয়া চলিব ধৰিলে, আকৌ মাজে মাজে দুদিনৰ কাৰণে নিজৰ ভিতৰত আপোচ হ'ল। নামত নানকিঙৰ তথাকথিত জাতীয় চৰকাৰে গোটেই চীন শাসন কৰিছিল, কেৱল মাত্ৰ কেণ্টনৰ বাহিৰে। কিন্তু দেশৰ বহুতো অঞ্চল আছিল য'ত এই চৰকাৰৰ অকণো প্ৰভাৱ নাছিল। ইয়াৰ ভিতৰত বিশেষ উল্লেখযোগ্য আছিল দেশৰ ভিতৰুৱা অঞ্চল একটি, তাত এটি কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠিত হৈছিল। নানকিং চৰকাৰে আৰ্থিক সহায়ৰ কাৰণে প্ৰধানকৈ চাংহাইৰ বেঙ্কৰ মালিকসকলৰ ওপৰতেই নিৰ্ভৰ কৰিছিল। বেলেগ বেলেগ সেনাপতি সকলৰ অধীনত থকা সৈন্যবাহিনীৰ খোৱাবোৱা যোগোৱাত বেচেৰা খেতিয়কসকলৰ প্ৰাণ যাওঁ যাওঁ হৈছিল। বিদ্ৰোহী সৈন্যবাহিনী ভাগি গৈছিল, তাৰো অসংখ্য মানুহ চাকৰী বিচাৰি দেশৰ চাৰিওফালে ঘূৰি ফুৰিছিল আৰু চাকৰি নোপোৱাত ডকাইটি আৰু লুটপাত কৰি পেট প্ৰবৰ্তাইছিল।

১৯২৭ চনৰ ডিচেম্বৰ মাহত নানকিং চৰকাৰ আৰু চোভিয়েট ৰাছিয়াৰ সম্পৰ্ক ছেদ হ'ল, সাম্ৰাজ্যবাদী জাতিসকলৰ সহায়ত নানকিং চৰকাৰে এটা উগ্ৰ চোভিয়েট বিৰোধীনীতি অৱলম্বন কৰিলে। ইয়াকে লৈ ১৯২৭ চনতে যুদ্ধ হ'লহেঁতেন, কিন্তু ৰুচিয়াই একোতেই যুদ্ধ কৰিবলৈ ৰাজী নহল বুলিয়েই যুদ্ধ নহ'ল। ১৯২৯ চনত চীন চৰকাৰে আকৌ উগ্ৰমূৰ্তি ধাৰণ কৰিলে, এইবাৰ ৰঙ্গমঞ্চ হ'ল মাঞ্চুৰিয়া। মাঞ্চুৰিয়াত চোভিয়েট চৰকাৰৰ অফিচ আক্ৰমণ কৰা হ'ল, 'চাইনীজ ইষ্টাৰ্ণ ৰেল-ৱে'ত যিসকল ৰুচ কৰ্মচাৰী আছিল তেওঁলোকক বৰখাস্ত কৰা হ'ল। এই ৰেলৱেটোৰ বেছিভাগ আছিল ৰুচিয়াৰেই সম্পত্তি, এতেকে চোভিয়েট চৰকাৰে অনতি পলমে চীনাসকলৰ শাস্তিৰ ব্যৱস্থা কৰিলে। কেইমাহমান ধৰি দুয়োদলৰ মাজত এখন যুদ্ধৰ দৰেই ঘটনা হ'ল, তাৰ পাছত চীনা চৰকাৰে চোভিয়েট চৰকাৰৰ দাবী মানি লবলৈ ৰাজী হ'ল। পুৰণি যি ব্যৱস্থা আছিল তাকেই পুনৰ প্ৰতিষ্ঠিত কৰিলে।

মাঞ্চুৰিয়াক লৈ আৰু মাঞ্চুৰিয়াৰ মাজেদি যি ৰেলপথটি গৈছে, তাক লৈ বহুতো আন্তৰ্জাতিক সমস্যাৰ উদ্ভৱ হৈছে, কাৰণ বহুতৰেই স্বাৰ্থ ইয়াত একত্ৰিত হৈছে, আৰু অবিৰামভাৱে উদ্ভৱ হৈছে, বিশেষকৈ চীন, জাপান আৰু ৰুচিয়া তাৰ ভিতৰত উল্লেখযোগ্য। জাপানে এই ঠাইত তেওঁলোকৰ সম্পূৰ্ণ প্ৰভুত্ব প্ৰতিষ্ঠা কৰিছে যদিও পৃথিৱী জুৰি সকলোৱেই ইয়াৰ এই কাৰ্যৰ প্ৰতিবাদ কৰিছে। ইয়াৰ কথা মই তোমাক মোৰ পিছৰ চিঠিত কম।

আগতে কৈছোঁ যে চীনৰ কিছু ঠাই জুৰি এখন কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠিত হৈছিল, মোৰ বিশ্বাসমতে কমত পৰে প্ৰথম কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠিত হৈছিল ১৯২৭ চনৰ নৱেম্বৰ মাহত দক্ষিণ চীনৰ কোৱাংটুং প্ৰদেশৰ ভিতৰত থকা হাই-ফুং জিলাত। ইয়াৰ নাম আছিল হাইফেং চোভিয়েট [illegible], [illegible] ইউনিয়নক একত্ৰিত কৰি ইয়াৰ সৃষ্টি হৈছিল। চীনৰ ভিতৰুৱা অঞ্চলত চোভিয়েটৰ শাসনত [illegible] অঞ্চল বাঢ়ি আহিল। ১৯৩২ চনৰ [illegible] [illegible] চীন দেশৰ দুই যি [illegible] একৰ, মানে ২,৫০,০০০

বৰ্গ মাইল পৰিমাণ ঠাই ইয়াৰ অন্তৰ্গত হৈ পৰিছে, ইয়াৰ লোকসংখ্যা ৫ কোটি। কমিউনিষ্ট সকলে ইয়াত ৪,০০,০০০ সৈন্যৰে এটি লালফৌজ গঢ়ি তুলিছে। এই বাহিনীৰ লগত আকৌ ল'ৰা-ছোৱালীবোৰ লৈ গঢ়া কিছুমান সহায়কাৰী বাহিনীও আছে। চীন দেশৰ এই চোভিয়েটবোৰক বিচূৰ্ণ কৰিবলৈ নানকিং চৰকাৰ আৰু কেণ্টন চৰকাৰ দুয়ো প্ৰাণপণে চেষ্টা কৰিছে, আৰু চিয়াংকাই চেক্ তেওঁলোকৰ বিৰুদ্ধে বাৰে বাৰে অভিযান চলাইয়ো সফল হোৱা নাই। এই চোভিয়েট সকলে কেতিয়াবা কেতিয়াবা পিছুৱাই গৈ দেশৰ ভিতৰুৱা অঞ্চলত নিজকে সুগঠিত আৰু শক্তিমন্ত কৰি গঢ়ি তুলিছে।

* কিতাপৰ শেষত যি অংশটি পিছত যোগ দিয়া হৈছে, তাত চিয়াংকাই চেক্ আৰু চীনৰ চোভিয়েট প্ৰজাতন্ত্ৰবোৰৰ ভিতৰত সংঘৰ্ষ—এই দুয়োদলৰ সম্মিলিত ভাবে জাপানৰ সামৰিক অভিযানক প্ৰিতৰোধ, জাপানৰ চীন আক্ৰমণ আৰু পিছৰ যুদ্ধ আদিৰ বিৱৰণ দিয়া হৈছে।

১৭৮
জাপানৰ উদ্ধতালি

২৯ জুন, ১৯৩৩

চীন কিদৰে ছিন্নভিন্ন হৈ পৰিল তাৰ করুণ কাহিনী আমি দেখিলোঁ। এবাৰ ভাবিছিলো ইয়াৰ বিপ্লৱ যোৱকতো সঁচাকৈয়ে জয়যুক্ত হ'ল, তাৰ পিছতে হঠাৎ আকৌ সেই বিপ্লৱ অতি পাশৱিক এটি প্ৰতিবিপ্লৱৰ হেঁচাত পৰি উভালি গ'ল। এই কাহিনীৰ আজিও শেষ হোৱা নাই। ইয়াৰ বহুতো ঘটনা ঘটিবলৈ এতিয়াও বাকী আছে। চীনৰ বিপ্লৱ ব্যৰ্থ হ'ল তাৰ কাৰণ জাতীয়তাবাদৰ ধাৰ তাত যিমান দৃঢ় আছিল তাতকৈ বহুত বেছি প্ৰবল হৈ উঠিছিল বিভিন্ন শ্ৰেণীৰ ভিতৰত সচেতন শ্ৰেণী সংগ্ৰাম। ধনী মাটিৰ মালিকসকলে আৰু আন আন স্বাৰ্থপৰ লোকসকলে জাতীয়তাবাদী আন্দোলনটোক ভাঙি দিয়াটোকে ভাল বুলি ভাবিছিল, কৃষক আৰু শ্ৰমিক জনসাধাৰণৰ প্ৰভুত্ব দেশত প্ৰতিষ্ঠিত হ'ব, সেই বিপদৰ বোজা ববলৈ তেওঁলোকৰ সাহস নাছিল।

কেৱল নিজৰ আভ্যন্তৰীণ বিপদেই নহয়—চীনৰ এইবাৰ এটা বিদেশী শত্ৰুৰ আক্ৰমণো বাধা দিবলগীয়া হ'ল। এই শত্ৰু হ'ল জাপান। চীন দুৰ্বল হৈ পৰিছে। আন আন জাতিবোৰ আগ ঠাইত যাব; এই সুযোগতে ইয়ো নিজৰ লাভ গোটাই লবলৈ যত্নপৰ হৈছে।

আধুনিক শিল্পতন্ত্ৰ আৰু মধ্যযুগীয় সামন্তবাদ, পাৰ্লিয়ামেণ্টৰ পদ্ধতি, স্বৈৰাচাৰী ৰাজতন্ত্ৰ আৰু সেনাধ্যক্ষসকলৰ প্ৰাধান্যৰ অদ্ভুত সমন্বয় ঘটিছে জাপানত। দেশৰ শাসনৰ কথাত মাটিৰ মালিক আৰু সমৰনায়কসকলৰেই প্ৰাধান্য। তেওঁলোকে সজ্ঞানে ৰাষ্ট্ৰধৰ্মক গঢ়ি তুলিবলৈ চেষ্টা কৰিছে, এটা বংশগত ৰাজত্বৰে। সেই ৰাজত্বৰ তেওঁলোকেই হ'ব সৰ্বেসৰ্বা আৰু সম্ৰাট হ'ব সকলোৰে পূজাৰী। ধৰ্ম শিক্ষা আদি ৰাষ্ট্ৰীয় সকলো কথাকেই একেলগে গাঁঠি তোলা হৈছে, যেন তাৰ দ্বাৰা এই ব্যৱস্থাৰ সহায় হয়। ধৰ্ম কথাটো চৰকাৰীভাৱে নিয়ন্ত্ৰণ কৰা হয়, দেৱালয়, মন্দিৰ আদিও চৰকাৰৰ নিয়ন্ত্ৰণত আছে, পুৰোহিতসকলৰ প্ৰকৃতিত চৰকাৰী চাকৰি। ধৰ্মানুষ্ঠান আৰু বিদ্যালয়বিলাকৰ যোগেদি এটি বিশেষ প্ৰকাৰ ধৰ্ম সকলোৰে মনতে চলোৱা হৈছে, দেশৰ লোকক সম্ৰাট দেৱতাজ্ঞানে মানিবলৈ বাধ্যতামূলক শিকোৱা হৈছে, সম্ৰাট [illegible], সম্ৰাট পূজনীয়, কাৰণ তেওঁ সূৰ্য [illegible] [illegible]। পৰিয়ালত [illegible] মাজত [illegible], [illegible] [illegible]

তাৰে এটি অনুকৰণ জাপানত আছে— 'বুচিদো' ইয়াৰ মানে সম বংশ মৰ্যাদাৰ প্ৰতি নিষ্ঠা। এই কথাটোকেই ব্যাপক অৰ্থত গোটেই ৰাষ্ট্ৰৰ সম্বন্ধে প্ৰয়োগ কৰা হৈছে। সকলোৰে ওপৰত আনকি স্বয়ং সম্ৰাটো ইয়াৰ অন্তৰ্গত। সম্ৰাট হৈছে প্ৰকৃততে এটি প্ৰতীক মাত্ৰ। তেওঁৰ নামলৈ শাসন ক্ষমতাৰ অধিকাৰী বৰ ডাঙৰ ডাঙৰ মাটিৰ মালিকসকল আৰু সামৰিক শ্ৰেণীয়ে দেশ শাসন কৰে। শিল্পতন্ত্ৰৰ প্ৰৱৰ্তনৰ ফলত জাপানত এটি বুৰ্জোৱা শ্ৰেণীৰ সৃষ্টি হৈছে। কিন্তু শিল্পৰ ক্ষেত্ৰত যিসকল ডাঙৰ ডাঙৰ দিগপাল, তেওঁলোক সকলোৱেই হৈছে পুৰণি মাটিৰ মালিক পৰিয়ালৰ মানুহ, এতেকে এতিয়ালৈকে বুৰ্জোৱা শ্ৰেণী বুলি নতুন কোনো শ্ৰেণীৰ হাতত ক্ষমতা হস্তান্তৰিত হোৱা নাই। প্ৰকৃতপক্ষে জাপানত সকলো কথাতেই এই একচেতিয়া শাসন চলিছে, জাপানৰ শিল্পনীতি আৰু ৰাজনীতি সকলো চলিছে মাত্ৰ দুই চাৰিঘৰ শক্তিশালী পৰিয়ালৰ ইঙ্গিতত।

বহুদিন ধৰি জাপানৰ জনসাধাৰণৰ ধৰ্ম হৈছে, বৌদ্ধধৰ্ম। কিন্তু আৰু এটা ধৰ্ম আছে—চিন্তো। এইটো কিছু পৰিমাণে জাতীয়তামূলক ধৰ্ম পূৰ্বপুৰুষসকলৰ পূজাই ইয়াৰ ডাঙৰ কথা। এই পূজাৰ মাজেদি অতীত কালৰ সকলো সম্ৰাট আৰু দেশপ্ৰাণ বীৰসকলৰ পূজা কৰা হয়—বিশেষকৈ যিসকলে যুদ্ধত প্ৰাণ ত্যাগ কৰিছে—তেওঁলোকৰ। এনেদৰে এই ধৰ্মটো দেশপ্ৰেম আৰু সম্ৰাটৰ প্ৰতি ভক্তি আৰু নিষ্ঠা প্ৰচাৰৰ এটা খুব বলিষ্ঠ আৰু কৰ্মকুশল প্ৰতিষ্ঠানত পৰিণত হৈছে। জাপানীসকল তেওঁলোকৰ আচৰিত দেশপ্ৰেম আৰু দেশৰ কাৰণে আত্মোৎসৰ্গৰ ক্ষমতাৰ কাৰণে প্ৰসিদ্ধ। কিন্তু এওঁলোকৰ এই দেশপ্ৰেমৰ প্ৰকৃতি বৰ উগ্ৰ; ইয়াৰ কাম্য হৈছে এখন বিশ্বজোৰা সাম্ৰাজ্য প্ৰতিষ্ঠা কৰা—এই কথাটো জনসাধাৰণে সিমান বেছি নেজানে। ১৯১৫ চনৰ ওচৰা-উচৰি সময়ত জাপানত এটি নতুন সম্প্ৰদায় স্থাপিত হয়। ইয়াৰ নাম 'ওমোটো কিয়ো' সম্প্ৰদায়। দেশৰ সকলোতে ই অতি সোনকালে বিয়পি পৰে। এই সম্প্ৰদায়ৰ প্ৰথম কথা আছিল, জাপান গোটেই পৃথিৱীৰ গৰাকী হ'ব, তাৰ সকলোতকৈ ওখ আসনত প্ৰতিষ্ঠিত থাকিব জাপানৰ সম্ৰাট নিজে। এই সম্প্ৰদায়ৰ পক্ষৰপৰা ঘোষণা কৰা হৈছিল, এইদৰে—

'আমাৰ একমাত্ৰ উদ্দেশ্য হৈছে জাপানৰ সম্ৰাটক গোটেই পৃথিৱীৰ শাসনকৰ্তা আৰু গৰাকীৰ আসনত প্ৰতিষ্ঠিত কৰা। স্বৰ্গত অৱস্থিত প্ৰথম পূৰ্বপুৰুষৰ ওচৰৰপৰা যি ঐশ্বৰীক প্ৰেৰণা আমি উত্তৰাধিকাৰ সূত্ৰে পাইছোঁ, পৃথিৱীৰ মাজত একমাত্ৰ জাপান সম্ৰাটৰ মাজতে সেইটো আজিও বৰ্ত্তমান আছে।'

আমি দেখিছো। বিশ্বযুদ্ধৰ সময়ত জাপানে চীনৰ ওপৰত কিছু জুলুম কৰিবলৈ চেষ্টা কৰিছিল, ইয়াৰ ওপৰত একৈশ দফা দাবী প্ৰয়োগ কৰিবলৈ বিচাৰিছিল। আমেৰিকা আৰু ইউৰোপে হৈ চৈ কৰাৰ কাৰণে যিমান ই বিচাৰিছিল তাৰ সকলোখিনি আদায় কৰিবলৈ নোৱাৰিলে, তথাপি বহুখিনি তেওঁলোকে পাইছিল। যুদ্ধৰ পিছত জাপানে দেখিলে, জাৰৰ সাম্ৰাজ্য ভাঙি গৈছে, এচিয়াত জাপানৰ সাম্ৰাজ্য বিস্তাৰ কৰি লিবলৈ সোণালী সুযোগ মিলিছে। জাপানৰ সৈন্য চাইবেৰীয়াত সোমাই পৰিল, জাপানৰ এজেণ্টসকল মধ্য এচিয়াৰ চাৰিফাল, আৰু মোঙ্গোলিয়ালৈকে বৈ উপস্থিত হ'ল। কিন্তু সেই অভিযান তেওঁৰ ব্যৰ্থ হ'ল।

তাৰ এটা কাৰণ ইতিমধ্যে চোভিয়েট ৰুচিয়াই বিপৰ্যয়ৰ পৰা গা কৰি উঠিছে; আৰু আন এটা কাৰণ হ'ল জাপানৰ প্ৰতি আমেৰিকাৰ অবিশ্বাস আৰু বাধা। এই কথা সদায় মনত ৰাখিবা, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত সদ্ভাৱ নাই। এওঁলোক দুয়ো দুয়োকে বৰ বেয়া পায়, প্ৰশান্ত মহাসাগৰৰ দুয়ো পাৰৰ পৰা এই দুখন দেশে সকলো সময়তে ইটোৱে সিটোৰ প্ৰতি চকু পোনাই আছে। ১৯২২ চনত ৱাচিংটনত যি কনফাৰেন্স হ'ল তাৰ ফলত জাপানৰ ৰাজ্য বিস্তাৰৰ আশাত কুঠাৰাঘাট পৰিল, আনহাতে আমেৰিকাৰ কূটনীতিৰ ই এটা বিৰাট সাফল্য। এই কনফাৰেন্সৰ ন টা জাতিৰ ভিতৰত জাপানো আছিল। তেওঁলোকে ইয়াত একত্ৰিত হৈ প্ৰতিশ্ৰুতি দিলে যে সকলোৱে চীনৰ অক্ষুন্নতা বজাই ৰাখি চলিব। তাৰ মানে হ'ল চীনৰ ভিতৰত ৰাজ্য বিস্তাৰ কৰাৰ যি আশা জাপানে পোষণ কৰিছিল, সেইটো তেওঁলোকে এৰিবলগীয়া হ'ল। এই কনফাৰেন্সত ইংলেণ্ডৰ লগতো জাপানৰ মিত্ৰতা শেষ হ'ল, এতেকে দূৰ প্ৰাচ্যত জাপান একেবাৰে অকলশৰীয়া হৈ পৰিল। বৃটিছ চৰকাৰে চিঙ্গাপুৰত এটি বিশাল নৌ-ঘাটি নিৰ্মাণ আৰম্ভ কৰিলে। যেহে বুজা গ'ল, এইটো জাপানকেই ভয় দেখুৱাৰ ব্যৱস্থা। ১৯২৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত এটি 'জাপানী প্ৰব্ৰজন বিৰোধী' আইন প্ৰণয়ন কৰিলে, জাপানৰ পৰা বহুতো শ্ৰমিক যুক্তৰাষ্ট্ৰলৈ আহিছিল ; কিন্তু তেওঁলোকক আহিব দিয়া যুক্তৰাষ্ট্ৰৰ ইচ্ছা নহয়। এই জাতিগত বৈষম্যৰ ব্যৱস্থাত জাপান অতিশয় ক্ষুব্ধ হ'ল, তেতিয়া ইয়াক লৈ প্ৰাচ্য-জগতৰ প্ৰায় সকলোতেই কম-বেছি পৰিমাণে, ক্ষোভৰ সঞ্চাৰ হৈছিল। কিন্তু আমেৰিকাৰ বিৰুদ্ধে একো কৰিবৰ সামৰ্থ জাপানৰ নাছিল। জাপানে দেখিলে ই একেবাৰে অকলশৰীয়া হৈ পৰিছে, ইফালে ইয়াক আগুৰি শত্ৰুপক্ষৰ এটি ব্যূহ লাহে লাহে নিৰ্মাণ হৈ গৈছে। বাধ্য হৈ ই তেতিয়া ৰুচিয়াৰ লগত বন্ধুত্ব কৰিলে, ১৯২৫ চনৰ জানুৱাৰী মাহত ৰুচিয়াৰ লগত এটি সন্ধি স্থাপন হ'ল।

এই সময়ত জাপানত এটি তাণ্ডৱ দৈৱ দুৰ্ঘটনা ঘটে। তাৰ আঘাতত জাপানৰ শক্তি বৰকৈ কমি যায়। ঘটনাটো হ'ল এটা ভয়ঙ্কৰ ভূমিকম্প। ১৯২৩ চনৰ ১লা চেপ্তেম্বৰ তাৰিখে এই ভূমিকম্প হয়, তাৰ পিছত সাগৰৰ পানীৰ ঢৌ আহিল আৰু ৰাজধানী টকিঅ' চহৰত এটি বৰ তাণ্ডৱ অগ্নিকাণ্ড হ'ল। বিশাল চহৰ টকিঅ' আৰু ইয়াকোহামা বন্দৰ এই দুৰ্যোগত একেবাৰে ধ্বংস হৈ গ'ল। মানুহ এক লাখৰ ওপৰ মৰিল, ধন সম্পত্তি যে কিমান নষ্ট হ'ল তাৰ হিচাপ নাই। তথাপি ইমান এটা সৰ্বনাশৰ মুখত পৰিও জাপানীসকলে সাহস আৰু দৃঢ়তা নেহেৰুৱালে। পুৰণি চহৰৰ ভগ্নস্তূপৰ ওপৰত আকৌ তেওঁলোকে নতুন কৰি টকিঅ' চহৰ গঢ়ি তুলিলে।

বিপদত পৰি জাপানে ৰুচিয়াৰ লগত বন্ধুত্ব স্থাপন কৰিছিল ; কিন্তু সেই বুলি কমিউনিজিমক সমৰ্থন কৰিছিল বুলি মত পোষণ কৰিবৰ কোনো কাৰণ নাই। কমিউনিজিম গ্ৰহণ কৰা মানেই হৈছে সম্ৰাটৰ পূজা, সামন্ততন্ত্ৰ, শাসক শ্ৰেণীৰ দ্বাৰা জনসাধাৰণৰ শোষণ, এক কথাত বৰ্তমান অৱস্থা যোলোতে বিদ্যমান তাৰ প্ৰায় সকলো শেষ হোৱা। আনহাতে জাপানৰ জনসাধাৰণৰ মাজত এই কমিউনিজিমৰ জনপ্ৰিয়তা দিনে দিনে বাঢ়ি আহিছিল, তাৰ কাৰণ প্ৰথমতেই যুদ্ধ


চীনত জাপানৰ যুদ্ধ
সোভিয়েট ৰাচিয়া
মঙ্গোলিয়া
মাঞ্চুৰিয়া
(মাঞ্চুকুও)
জেহোল
জাপান
কোৰিয়া
চিনকিয়াং
অন্তৰ্মোঙ্গোলিয়া
পিকিঙ
চীন
নানকিঙ
হ্যাংকাও
চাংহাই
তিব্বত
ভাৰতবৰ্ষ
ব্ৰহ্মদেশ
ক্যান্টন

দুৰ্গতিৰ বৃদ্ধি আৰু শক্তিশালী শিল্পপতিসকলৰ শোষণৰ তীব্ৰতা বাঢ়ি গৈছিল। দেশৰ জনসংখ্যাও তেতিয়া বৰ বেছিকৈ বাঢ়ি যাব ধৰিছে, দেশ এৰি তেওঁলোকে যে আমেৰিকা, কানাডা আনকি অষ্ট্ৰেলিয়াৰ প্ৰান্তৰত গৈয়ো আশ্ৰয় লবৰ উপায় নাই—সকলো দেশৰ দুৱাৰ বন্ধ হৈ গৈছে। চীনদেশখন অৱশ্যে হাতৰ ওচৰতে, কিন্তু চীনৰ নিজৰে মানুহ ইমান বেছি যে তেওঁলোকৰ কাৰণেই দেশত ঠাই নাই। কিছুমান মানুহ জাপানৰপৰা কোৰিয়ালৈ আৰু মাঞ্চুৰিয়ালৈ গৈছিল। তেওঁলোকৰ নিজৰ এই সমস্যাবোৰৰ উপৰিও জাপানে সেই সময়ত গোটেই পৃথিৱী জুৰি শিল্প আৰু বিবোৰ সাৰ্বজনীন বিপদ-বিঘিনি আৰু বাণিজ্যৰ মন্দা বজাৰ চলিছিল, তাৰো সহিবলগীয়া হৈছিল। দেশৰ ভিতৰৰ অৱস্থা আৰু বেয়া হৈ উঠাৰ ফলত কমিউনিষ্ট আৰু গোটেই প্ৰগতিবাদীসকলৰ ওপৰত বৰ ভীষণ উৎপীড়ন আৰম্ভ হ'ল। ১৯২৫ চনত এখন 'শান্তি ৰক্ষাৰ আইন' প্ৰণয়ন হ'ল। আইনখনৰ ভাষাই আছিল চমৎকাৰ—মই তোমাক ইয়াৰ প্ৰথম অনুচ্ছেদটো শুনাইছোঁ—অনুচ্ছেদটোৰ ভাষা আছিল—

'দেশৰ শাসনতন্ত্ৰ পৰিবৰ্ত্তন কৰিবৰ, বা ব্যক্তিগত সম্পত্তিপ্ৰথা উচ্ছেদ কৰিবৰ উদ্দেশ্যে বিসকলে কোনো ধৰণৰ সংঘ বা সম্প্ৰদায় গঠন কৰিব বা বিসকলে এনে ধৰণৰ সংঘ আদিৰ উদ্দেশ্যে সম্পূৰ্ণ জানিও ইয়াত যোগ দিব—তেওঁলোক দণ্ডনীয় হ'ব। এই অপৰাধত পাঁচ বছৰৰ বেছি কাল জুৰি কাৰাদণ্ডৰপৰা আৰম্ভ কৰি মৃত্যুদণ্ড পৰ্যন্ত হব পাৰিব।'

কেৱল কমিউনিজিম নহয়—সকলো ৰকমৰ সমাজতন্ত্ৰবাদী কাৰ্য আইনৰ যোগেদি নিষিদ্ধ কৰা হৈছিল। আইনখনৰ কঠোৰতা দেখি বুজিব পাৰি, কমিউনিজিমৰ অভ্যুত্থান দেখি জাপানী চৰকাৰে কিমান ভয় খাইছিল।

কিন্তু কমিউনিজিমৰ জন্ম হয় মানুহৰ ব্যাপক দুখ-দুৰ্দশাৰপৰা, আৰু সেই দুখ-দুৰ্দশাৰ মূল হৈছে সামাজিক অসংগতি। সেই অসংগতিৰ বেতিয়ালৈকে প্ৰতিকাৰ নহয়, সিমান দিন কেৱল উৎপীড়নেৰে ইয়াক বাধা দি ৰাখিব নোৱাৰি। জাপানত প্ৰজাসাধাৰণৰ এতিয়া ভীষণ দুৰৱস্থা। চীন আৰু ভাৰতবৰ্ষৰ দৰেই তাতো খেতিয়কসকল বিপুল পৰিমাণৰ ঋণৰ হেচাত চেপা খাই আছে। প্ৰজাৰ পৰা বৰ বেছি কৰ আদায় কৰা হৈছে, বিশেষকৈ বিপুল পৰিমাণৰ সামৰিক ব্যয় আৰু যুদ্ধ সংক্ৰান্ত প্ৰয়োজন পূৰাবৰ কাৰণে। বহু ঠাইৰ কৃষকসকলে অনাহাৰত থাকিব নোৱাৰি ঘাঁহ আৰু গছৰ পাত খাই প্ৰাণ ৰক্ষাবলৈ চেষ্টা কৰিছে। নিজৰ সন্তানকো বিক্ৰী কৰি দিছে, এনে বাতৰিও পোৱা গৈছে। নিবনুৱা সমস্যাৰ কাৰণে মধ্যবিত্তশ্ৰেণীবোৰৰ অৱস্থা বৰ বেয়া হৈ পৰিছে, আত্মহত্যাৰ সংখ্যা বৰ বেছি হৈছে।

কমিউনিজিমৰ বিৰুদ্ধে অভিযান বৰ জোৰেৰে আৰম্ভ হয়, ১৯২৮ চনৰ প্ৰথম ভাগত। এৰাতিৰ ভিতৰত এক হাজাৰতো বেছি লোক গ্ৰেপ্তাৰ কৰা হ'ল, কিন্তু এখাহৰ ভিতৰতো বাতৰি কাকতবিলাকে সেই বাতৰি ছপাই বাহিৰ কৰিবলৈ অনুমতি নাপালে। বছৰৰ পিছত বছৰ প্ৰায় দেশৰ সকলোতে পুলিচ খানাতলাচী আৰু ব্যাপকভাৱে গ্ৰেপ্তাৰৰ জোৰ চলিছে। পুলিচৰ সকলোতকৈ

ভাঙৰ অভিযানটি হ'ল ১৯৩২ চনৰ অক্টোবৰ মাহত ; তেতিয়া ২২৫০ জন লোকক একেলগে গ্ৰেপ্তাৰ কৰা হৈছিল। এই লোকসকলৰ বেছিভাগেই শ্ৰমিক নাছিল ; এওঁলোকৰ ভিতৰত বেছিভাগেই আছিল ছাত্ৰ আৰু শিক্ষক। এওঁলোকৰ ভিতৰত শ শ গ্ৰেজুৱেট আৰু মহিলাও আছিল। ইয়াৰ ভিতৰত এটা লৈখত লব-লগীয়া কথা আছিল যে জাপানৰ বহুতো ধনীৰ ঘৰৰ যুৱক-যুৱতী কমিউনিজিমত বিশ্বাসী হৈ উঠিছে। ভাৰতবৰ্ষ আৰু আন আন দেশৰ দৰে জাপানতো প্ৰগতিবাদী চিন্তাধাৰাৰ লোকসকলক চোৰ, ডকাইতি, হত্যাকাৰী আদি অপৰাধীতকৈও ভয়ঙ্কৰ লোক বুলি ভবা হৈছিল ভাৰতবৰ্ষৰ মীৰাট সকলৰ দৰে জাপানতো কমিউনিষ্ট-সকলক লৈ কেইটামান মকৰ্দমা বছৰৰ পিছত বছৰ ধৰি চলি আছে।

জাপানৰ অৱস্থা সম্পৰ্কে ইমান কথা তোমাক কলোঁ, যেন জাপানে মাঞ্চুৰিয়াত যি অভিযান চলাইছে তাৰ পটভূমি কি সেই সম্বন্ধে তুমি কিছু ধাৰণা কৰিব পাৰা। এইবাৰ তোমাক মাঞ্চুৰিয়া সম্পৰ্কে কিছু কম।

এচিয়াৰ মহাদেশ ভাগত অলপ থিয় হোৱাৰ ঠাই পাবৰ কাৰণে জাপানে একেলেঠাৰিয়ে চেষ্টা কৰি আহিছে ; ইয়াৰ কথা তোমাক মই আগৰ কেইখনমান চিঠিত লেখিছোঁ। প্ৰথমেই কোৰিয়া দখল কৰিব বিচাৰিলে, তাৰ পিছত হাত বঢ়ালে মাঞ্চুৰিয়াৰ ফালে। ১৮৯৪ চনত চীনৰ লগত আৰু তাৰ দহ বছৰৰ পিছত ৰুচিয়াৰ লগত জাপানৰ যুদ্ধ হ'ল, সেই যুদ্ধও কৰিছিল এই উদ্দেশ্যেৰেই। লাহে লাহে জাপানৰ চেষ্টা সফল হ'ব ধৰিলে, এখোজ দুখোজ কৰি ই আগুৱাই গ'ল। কোৰিয়া ইয়াৰ দখললৈ আহিল, জাপান সাম্ৰাজ্যৰ এটি অংশত পৰিণত হ'ল। চীনৰ পূব অঞ্চলৰ তিনিখন প্ৰদেশ একত্ৰিত কৰি মাঞ্চুৰিয়া বোলা হয়। মাঞ্চুৰিয়াত পটআৰ্থাৰৰ আশে-পাশে কিছু ঠাই ৰুচিয়াই অধীকৃত অঞ্চল বুলি ভোগ কৰিছিল, সেইবোৰ জাপানক দি দিয়া হ'ল। মাঞ্চুৰিয়াৰ মাজেদি ৰুচিয়াই এটি ৰেলপথ নিৰ্মাণ কৰিছিল, তাৰ নাম চাইনীজ ইষ্টাৰ্ণ ৰেলৱে। তাৰ কিছু অংশ জাপানৰ হাতলৈ গ'ল, জাপানীসকলে তাৰ নাম দিলে চাউথ মাঞ্চুৰিয়া ৰেলৱে। কিন্তু ইমান পৰিৱৰ্তনৰ সত্ত্বেও মাঞ্চুৰিয়া দেশখন মুঠৰ ওপৰত চীন চৰকাৰৰেই অধীনত থাকিল, ৰেলৱে আছিল বুলি বহুতো চীনলোকে তাত আহি বসতি কৰিলে। প্ৰকৃততে চীনৰ উত্তৰ-পূব অঞ্চলৰ এই তিনিখন প্ৰদেশৰ ইমান মানুহ আহি বসতি কৰিছিল যে বহুতৰ মতে পৃথিৱীৰ বুৰঞ্জীত দেশান্তৰৰ ইমান ডাঙৰ অভিযান বৰ বেছি হোৱা নাই। ১৯২৩ চনৰপৰা ১৯২৯ চনলৈ এই সাতটি বছৰৰ মাজত পঁচিশ লাখৰো বেছি চীনা-লোক দেশ এৰি মাঞ্চুৰিয়ালৈ গ'ল। মাঞ্চুৰিয়াৰ বৰ্ত্তমান লোকসংখ্যা তিনি কোটিমান—ইয়াৰ ভিতৰত শতকৰা পচানৈব্বৈ জনেই হ'ল চীনা। এতেকে এই প্ৰদেশ তিনিখন প্ৰকৃতপক্ষে চীনদেশ। শতকৰা যি পাঁচজন বাকী থাকিল তাৰ ভিতৰত ৰুচিয়াৰ লোক আছে, মঙ্গোল যাযাবৰ আছে, কোৰিয়াৰ লোক আছে, জাপানী আছে। পুৰণি কালৰ মাঞ্চুৰিয়াৰ লোক যি আছিল তেওঁলোক চীনাসকলৰ লগতেই মিলি গৈছে। তেওঁলোকৰ পুৰণি ভাষাটোও এৰিআ তেওঁলোকে পাহৰি গৈছে।

১৯২২ চনত ৱাচিংটনত নটা জাতিৰ ভিতৰত যি সন্ধি হৈছিল তাৰ কথা তোমাক কৈছোঁ। এই সন্ধি কৰা হৈছিল পাশ্চাত্য জাতিসমূহৰ নির্দেশমতে। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল, চীনত ৰাজ্য বিস্তাৰৰ অভিলাস জাপানৰ যি আছিল তাত বাধা দিয়া। অতি স্পষ্ট আৰু পোনপটীয়া ভাষাত এই নটা জাতিয়ে (এওঁলোকৰ ভিতৰত জাপানো আছিল) প্ৰতিশ্ৰুতি দিছিল 'চীনৰ সাৰ্বভৌম অধিকাৰ, ইয়াৰ স্বাধীনতা আৰু তাৰ ৰাজ্যৰ এলেকা আৰু শাসন ব্যৱস্থাৰ অক্ষুণ্ণ মৰ্যাদাত তেওঁলোক কোনেও হস্তক্ষেপ নকৰিব।'

ইয়াৰ পিছত কেইটামান বছৰ জাপানে হাত সাৱটি বহি থাকিল। গোপনে অৱশ্যে তেতিয়াও ই টকা দি আন আনভাৱে চীনৰ সমৰনায়ক আৰু টচনসকলক সহায় কৰিছিল, যেন তেওঁলোকে গৃহযুদ্ধখন চলাই যাব পাৰে, চীনক দুৰ্ব্বল কৰি পেলাব পাৰে। বিশেষকৈ সেই সাহায্য কৰিছিল চ্যাংচো লিনক মাঞ্চুৰিয়াত, দক্ষিণৰ জাতীয়তাবাদী দল আহি পিকিং দখল কৰাৰ আগলৈকে, পিকিঙতো এওঁৰেই আধিপত্য আছিল। ১৯৩১ চনত জাপান চৰকাৰে মাঞ্চুৰিয়াত দেখা দেখিকৈ এটি উগ্ৰ মূৰ্ত্তি ধাৰণ কৰিলে, হয়তো ইয়াৰ কাৰণ জাপানৰ তেতিয়া উপস্থিত হোৱা ভীষণ অৰ্থসংকট। এতেকে দেশৰ মাজত যি অসন্তোষে দেখা দিছিল তাৰ অলপ লাঘৱ কৰিবলৈ আৰু দেশৰ মানুহৰ মনোযোগ আনফালে চাল খুৱাবলৈ তেওঁলোকে বাধ্য হৈ দেশৰ বাহিৰত ক'ৰবাত কিবা এটা কাণ্ড কৰিবলগীয়া হৈছিল। অথবা হয়তো জাপান চৰকাৰৰ মাজত সামৰিক দলৰ যি অতিৰিক্ত প্ৰতিপত্তি আছিল, তাৰপৰাই এই অভিযানৰ সৃষ্টি। নহলে হয়তো জাপানে ভাবিছিল যে আন আন দেশবোৰে সকলোৱেই নিজৰ নিজৰ আপদ বিপদ আৰু বাণিজ্য সংকটত ব্যস্ত হৈ আছে গতিকে এই সুযোগতে ই যি কৰক নকৰক তাত বাধা দিবলৈ তেওঁলোক কোনো নাহিব। সম্ভৱতঃ এই সকলোবোৰ কাৰণকে থুপাই লৈ জাপানৰ চৰকাৰে এনে এটি কাম কৰিবলৈ প্ৰলুব্ধ হ'ল। কাৰণ এই কমিটাৰে ১৯২২ চনৰ নৱশক্তি চুক্তিৰ দেখ দেখকৈ অমান্য কৰা হ'ল। লীগ অৱ নেচনচৰ মূলনীতি, সম্বলিত চনদৰ চুক্তি ইয়াৰ দ্বাৰা ভঙ্গ কৰা হ'ল। সেই চুক্তিত যুদ্ধক বে-আইনী কথা বুলি ঘোষণা কৰা হৈছিল। এতেকে চীনৰ বিৰুদ্ধে যুদ্ধৰ আয়োজন কৰি জাপান চৰকাৰে জানি শুনিয়েই এই গোটেইবোৰ সন্ধি আৰু প্ৰতিশ্ৰুতি ভঙ্গ কৰিলে। গোটেই জগতৰ বিৰুদ্ধে তেওঁলোকৰ ই এটা অদ্ভুত উদ্ধতালিৰ নিদৰ্শন।

১৯৩২ চনৰ জানুৱাৰী মাহত এটি জাপানী বাহিনী হঠাৎ আহি চাংহাইৰ ওচৰত চীনৰ এলেকাত আহি সোমাল; আৰু সিহঁতে এনে বীভৎস হত্যাকাণ্ড এটিৰ পাতনি মেলিলে যে আধুনিক জগতত তাৰ তুলনা সহজে পোৱা নাযায়। বিদেশীসকলৰ অধীকৃত অঞ্চলত তেওঁলোকে প্ৰৱেশ নকৰিলে। এতেকে বিদেশী সকলো সুৰক্ষিত হল। বিবোৰ অঞ্চলত চীনাসকলৰ বসতি ঘন ঘন, বাছি বাছি সেই ঠাইবোৰ আক্ৰমণ কৰিলে। চাংহাইৰ ওচৰত এটি বিৰাট অঞ্চলত (ইয়াৰ নাম চেপেই) তেওঁলোকে বোমা মাৰি, কামানৰ গুলীয়াই, একেবাৰে ধ্বংস কৰি দিলে। হাজাৰ হাজাৰ মানুহ মৰিল তাত হয়তো মানুহ আশ্ৰয়হীন হৈ পৰিল,

মনত ৰাখিবা এইটো তেওঁলোকে কোনো সৈন্যবাহিনীৰ লগত যুদ্ধ নাছিল, ই কেৱল নিৰপৰাধী অসামৰিক লোকসকলক বোমা দি হত্যা কৰা কাৰ্য। এই মহাবীৰোচিত কাৰ্যৰ পৰিচালক আছিল বিজন জাপানী নৌ-সেনাধ্যক্ষ, তেওঁক যেতিয়া এই সম্বন্ধে প্ৰশ্ন কৰা হল, তেওঁ কলে জাপানে ৰৰ দয়া পৰবশ হৈ স্থিৰ কৰিছে—"অসামৰিক লোকসকলৰ ওপৰত এইদৰে নিসঙ্কোচে বোমা বৰ্ষণ আৰু দুৰ্দিনহে কৰা হব।" চাংহাইত লণ্ডনৰ "টাইমচ" নামৰ কাকতৰ যি বাতৰি দিওতা আছিল তেওঁ জাপানীসকলৰ সমৰ্থক, অথচ জাপানীসকলৰ হাতত চীনাসকলৰ এই (তেওঁৰ ভাষাত) 'পাইকাৰী হত্যাকাণ্ড' দেখি তেৱোঁ বিতৃষ্ণাত স্তব্ধ হৈ আছিল। চীনাসকলৰ মনৰ অৱস্থা কি হ'ল সেইটোতো বুজিবই পাৰিছা। চীনৰ সকলোতে আতঙ্ক আৰু ক্ৰোধৰ জাউৰি উঠিল। চীনৰ য'ত যিমান চৰকাৰ আৰু সমৰ নায়ক আছিল বিদেশীসকলৰ এই নৃশংস অভিযানৰ আঘাতত তেওঁলোকে যি অৰিয়া-অৰি পাতিছিল সকলো পাহৰি গ'ল। সকলো একত্ৰিত হৈ জাপানীসকলৰ বিৰুদ্ধে যুঁজাৰ কথা উঠিল। আনকি চীনৰ ভিতৰুৱা অঞ্চলৰ য'ত কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠিত হৈছিল, তেওঁলোকেও নানকিঙৰ চৰকাৰক কৈ পঠালে দেশ ৰক্ষাৰ কাৰণে নানকিঙৰ অনুগত হৈ তেওঁলোক যুঁজিবলৈ ৰাজী আছে। অথচ আশ্চৰ্যৰ বিষয় এই নানকিং চৰকাৰ বা তাৰ অধিনায়ক চিয়াং-কাই-চেকে জাপানী সৈন্যৰ আক্ৰমণৰপৰা চাংহাইক ৰক্ষা কৰিবলৈ কোনো চেষ্টা নকৰিলে। এটা মাত্ৰ কাম নানকিং চৰকাৰে কৰিলে, লীগ অৱ নেচনচৰ কাষত এটি অভিযোগ দাখিল কৰিলে। জাপানীসকলক বাধা দিবলৈ এটি মিলিত বাহিনী গঢ়ি তুলিবলৈ চেষ্টাও তেওঁলোকে নকৰিলে। বৰ ডাঙৰ ডাঙৰ কথা অৱশ্যে তেওঁলোকে কৈছিল, দেশৰ জনসাধাৰণো খঙত ক্ষোভত জ্বলি-পুৰি মৰিছিল, কিন্তু দেখি শুনি মনত হয় আচলতে জাপানীসকলক বাধা দিবলৈ কোনো ইচ্ছাই নানকিং চৰকাৰৰ নাছিল।

ঠিক সেই সময়তে দক্ষিণৰপৰা এটা অদ্ভুত সৈন্যবাহিনী চাংহাইত আহি আবিৰ্ভূত হ'ল—ইয়াৰ নাম ঊনৈশ সংখ্যক ৰুটবাহিনী বা ঊনৈশ নম্বৰৰ পদাতিক বাহিনী। এই বাহিনীটো ক্যাণ্টনৰ লোকৰে গঢ়া কিন্তু নানকিং বা ক্যাণ্টন কোনো চৰকাৰৰ আদেশত ই পৰিচালিত নহয়। ই এক সান মিহলি সৈন্যৰ দল—তেওঁলোকৰ ৰণৰ সাজ বুলিবলৈ একোৱেই নাই, ডাঙৰ কামান নাই, ভাল পোছাক-পৰিচ্ছদ নাই, চীন দেশৰ সেই মাৰাত্মক জাৰৰপৰা ৰক্ষা পাবৰ কাৰণে কাপোৰ বা চোলাও নাই। বহুতো ল'ৰা ইয়াৰ ভিতৰত আছিল বাৰ বছৰ চৈধ্য বছৰৰপৰা যোল্ল বছৰৰ ভিতৰত, কেইজনমানৰ বয়স আছিল মাত্ৰ বাৰ বছৰ। এই অপূৰ্ব বাহিনীৰ দৃঢ় সঙ্কল্প চিয়াং-কাই-চেক্‌ৰ আদেশ অগ্ৰাহ্য কৰি তেওঁলোকে যুদ্ধ কৰিব—জাপানীসকলক বাধা দিব। ১৯৩২ চনৰ জানুৱাৰী ফেব্ৰুৱাৰী মাহৰ পুৰা দুটি সপ্তাহ জুৰি এওঁলোকে যুদ্ধ কৰিলে, নানকিং চৰকাৰে এওঁলোকক কোনো সহায়কে নকৰিলে। অথচ এনে আচৰিত বীৰত্বৰে এওঁলোকে যুঁজ কৰিবলৈ ধৰিলে যে জাপানী সৈন্যাই তেওঁলোকৰ বহুত বেছি শক্তি বহুত ভাল ৰণসজ্জাৰেও অবাক হৈ থৈ গল, এওঁলোকক ঠেলি পিচুৱাই নিব নোৱাৰিলে। কেৱল জাপানীসকলেই নহয়, এওঁলোকৰ

এই অপূৰ্ব বীৰত্ব দেখি সকলোৱে অবাক হৈ গল, বিদেশী জাতিসমূহ আৰু চীনাসকল নিজেও। অকলে দু-সপ্তাহ যুদ্ধ চলোৱাৰ পিছত্ত্ব বেতিয়া চাৰিওফালে সকলো বোৰেই এই বাহিনীৰ প্ৰশংসাত পঞ্চমুখ হৈ উঠিল তেতিয়া চিয়াংকাই-চেকে এওঁলোকৰ সহায়ৰ কাৰণে কিছুমান সৈন্য পঠিয়ালে।

উনৈশ সংখ্যক রুট বাহিনীয়ে ইতিহাসত এটি নতুন অধ্যায় ৰচনা কৰিলে। পৃথিৱীৰ সকলোতে ইয়াৰ নাম বিয়পি পৰিল। এওঁলোকৰ বাধা পাই জাপানীসকলৰ সকলো পৰিকল্পনা উলটি গল। চাংহাইত পাশ্চাত্য জাতিসমূহৰ বহুখিনি স্বাৰ্থজড়িত হৈ আছে। তেওঁলোকেও সেইবোৰ বজাই ৰাখিব বিচাৰে। এতেকে তাৰ পিছত লাহে লাহে জাপানে চাংহাই অঞ্চলৰপৰা সৈন্য আঁতৰাই নিলে, জাহাজত উঠাই তেওঁলোকক অন্য ঠাইলৈ পঠিয়াই দিলে। এটা কথা মন কৰিবলগীয়া এই পাশ্চাত্য জাতিবোৰে তেওঁলোকৰ নিজৰ অৰ্থ সম্পদ বা আন স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে উৎকণ্ঠিত হৈ পৰিছিল, কিন্তু চাপেইত যি নৃশংস হত্যাকাণ্ড হ'ল, হাজাৰ হাজাৰ চীনাক বধ কৰা হ'ল, তাকে লৈ বা তেওঁলোকৰ লগত হোৱা ইমানবোৰ সন্ধি জাপানে ভাঙিলে, আন্তৰ্জাতিক আইনৰ অনুশাসন অমান্য কৰিলে এইবোৰলৈ তেওঁলোকে মূৰেই নুঘূৰালে। এইবোৰ লৈ বাৰে বাৰে লীগ-অৱ-নেচনচৰ ওচৰত অভিযোগ কৰা হ'ল। লীগে প্ৰত্যেক বাৰেই সেই আলোচনা বিচাৰ কৰি ৰখাৰ এটা অজুহাত উলিয়ালে। সঁচাকৈয়ে এখন যুদ্ধ চলিছে, হাজাৰ হাজাৰ মানুহ মৰিছে, তথাপি এইবোৰ ঘটনাক লীগে একো জৰুৰী বুলি বিবেচনা নকৰিলে। ফলে ক'তো সঁচাকৈ যুদ্ধতো হোৱা নাই। চৰকাৰীভাৱে ইয়াকতো কোনেও যুদ্ধ বুলি ঘোষণা কৰা নাই। লীগৰ এই দুৰ্বলতা—অন্যায় অত্যাচাৰ সকলোকে সজ্ঞানে সমৰ্থন কৰি বহি থকাত লীগৰ সুনাম আৰু মৰ্যাদা বহুখিনি নষ্ট হৈ গল। ইয়াৰ বাবে প্ৰকৃততে দায়ী আছিল ডাঙৰ ডাঙৰ জাতিসমূহৰ ভিতৰত কেইজনমান—বিশেষকৈ ইংলেণ্ডেতো লীগৰ মাজত জাপানৰ হৈয়ে মাত মাতিছিল। যি কি নহওক লীগে মাঞ্চুৰিয়াৰ ঘটনা সম্পৰ্কে তদন্ত কৰিবৰ কাৰণে এটি আন্তৰ্জাতিক কমিচন নিয়োগ কৰিলে, ইয়াৰ সভাপতি হ'ল লৰ্ড লিটন। এই ব্যৱস্থাত সকলো জাতিয়ে নিঃসংকোচে সন্মতি দিলে কাৰণ কমিচন বহুৱা মানে হৈছে এই সম্বন্ধে কোনো সিদ্ধান্ত স্থিৰ কৰাৰ কথাটো বৰ্তমানলৈ বহু সময়ৰ কাৰণে স্থগিত ৰখা। মাঞ্চুৰিয়া বহু দূৰৰ দেশ, কমিচন তালৈ যাওঁতে ৰিপৰ্ট দিওঁতে দীঘলীয়া সময় লাগিব; হয়তো তেতিয়ালৈ যুদ্ধৰ কথাতোৱেই তল পৰি যাব।

জাপানীসকল চাংহাইৰপৰা আঁতৰি গ'ল, কিন্তু এইবাৰ তেওঁলোকে মাঞ্চুৰিয়াৰ ফালে বেছিকৈ মনোযোগ দিলে। মাঞ্চুৰিয়াত তেওঁলোকে এখন পুতলা চৰকাৰ গঠন কৰিলে, ঘোষণা কৰা হল—মাঞ্চুৰিয়াই আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ বলত সেই দেশৰ চৰকাৰ গঠন কৰিছে। এই নতুন পুতলা ৰাজ্যৰ তেওঁলোকে নাম দিলে মাঞ্চুকুও। চীনৰ পুৰণি মাঞ্চু ৰজাসকলৰ বংশধৰ একজনক এই নতুন ৰাজ্যৰ সিংহাসনত বহুৱালে। অৱশ্যে এই সকলোবোৰ হল লোক দেখুৱা কথা। আচলতে জাপানেই দেশখন শাসন কৰিব ধৰিলে। সকলোৱেই জানিছিল—জাপানী সৈন্য

যদি আঁতৰাই নিয়া হয় তেন্তে এদিনৰ ভিতৰতে সেই মাঞ্চুকুও ৰাজ্য উলটি পৰি যাব।

মাঞ্চুৰিয়াত জাপানীসকলৰ দিন ভালেৰে নগৈছিল। চীনৰ বহুতো স্বেচ্ছা সৈনিক দলে সদায় সকলো সময়তে তেওঁলোকৰ লগত যুদ্ধ বিগ্ৰহ চলাইছিল। জাপানীসকলে এই দলবিলাকৰ নাম দিছে 'দস্যু'। মাঞ্চুকুওৰাজ্যৰ সেনাবাহিনী প্ৰধানকৈ চীনাসকলেৰেই গঠিত। তাক শিক্ষিত আৰু অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত কৰি তুলিছে—জাপানীসকলে। এইবোৰ সৈন্যক যেতিয়া দস্যুবিলাকৰ লগত যুদ্ধ কৰিবলৈ পঠোৱা হ'ল—সিইঁতে গৈ দস্যুবোৰৰ লগত যোগ দিলে। দুয়োপক্ষৰ মাজত এই যুদ্ধ জিৰণি নোলোৱাকৈ চলাৰ ফলত মাঞ্চুৰিয়াৰ অৱস্থা বৰ বেয়া হৈ আছিল। চয়াবীন চালানৰ কাৰবাৰো প্ৰায় বন্ধ হৈ যোৱাৰ উপক্ৰম হল।

বহুমাহ ধৰি তদন্ত চলাৰ পিছত লিটন-কমিচনে লীগ অৱ নেচনচৰ ওচৰত তেওঁলোকৰ ৰিপৰ্ট দাখিল কৰিলে। ৰিপৰ্টটো অতি সাৱধানে যুগুত কৰা হৈছিল। তথাপি ইয়াত সম্পূৰ্ণ দোষৰ ভাগ জাপানৰ ওপৰতেই দিবলগীয়া হৈছিল। তাকে দেখি বৃটিছ চৰকাৰ বৰ ব্যস্ত হৈ পৰিল, তেওঁলোকৰ প্ৰাণপণ চেষ্টা আছিল জাপানক সমৰ্থন কৰা। এই ৰিপৰ্টৰ সম্বন্ধে আলোচনাৰ কথাটো আকৌ কেইমাহমানৰ কাৰণে স্থগিত ৰাখিলে। কিন্তু তথাপি এই সমস্যাৰ আলোচনা কৰিবলৈ লীগ বাধ্য হ'ল। ইংলেণ্ডে যি মনোভাৱ এই সম্পৰ্কে প্ৰকাশ কৰিছিল, আমেৰিকাৰ ভাব আছিল তাৰ সম্পূৰ্ণ বিপৰীত। আমেৰিকাই স্পষ্ট ভাবে কৈ দিছিল মাঞ্চুৰিয়া বা অইন ঠাইত জাপানে গাৰ বলেৰে পৰিৱৰ্তন ঘটাইছে আমেৰিকাই তাক স্বীকৃতি নিদিব কিন্তু আমেৰিকাৰ এই দৃঢ় মনোভাৱ সত্ত্বেও ইংলেণ্ডে আৰু কিছু পৰিমাণে ফ্ৰান্স, ইটালী আৰু জাৰ্মাণীয়ে তেতিয়াও জাপানক সমৰ্থন কৰিলে।

লীগে যেতিয়া সিদ্ধান্ত লোৱাৰ দায়িত্বৰপৰা নিজক এৰাই ৰখাৰ চেষ্টা কৰিলে, জাপানে আৰু এটি নতুন ঘটনা ঘটালে। ১৯৩৩ চনৰ নতুন বছৰৰ দিনা এটি জাপানী বাহিনী হঠাৎ গৈ খাচ চীন দেশৰ মাজত গৈ উপস্থিত হ'ল, চান-হাই কোৱান চহৰ আক্ৰমণ কৰিলে। এই চহৰ চীনৰ প্ৰাচীৰৰ ওচৰত চীনৰ এলেকাত অৱস্থিত। ডাঙৰ ডাঙৰ কামানৰপৰা আৰু যুদ্ধৰ জাহাজৰপৰা জাপানীসকলে গুলী চলাবলৈ ধৰিলে, উৰা জাহাজেৰে বোমা পেলাবলৈ ধৰিলে চহৰৰ ওপৰত সি একেবাৰে পূৰ্ণোদ্যমে আধুনিক আক্ৰমণ। চাওতে চাওতে চানহোইকোৱান চহৰ এটি ধোৱাৰে ধূৱলি-কুঁৱলি ধ্বংসস্তূপত পৰিণত হ'ল, ইয়াৰ অসামৰিক অধিবাসী-সকলৰ ভিতৰত বহু মানুহ মৰিল আৰু আন বহুতো মৰো মৰো অৱস্থাৰে অগ্নি-কাণ্ডৰ ভিতৰত পৰি থাকিল। তাৰ পিছত জাপানী সৈন্যই আৰু আগুৱাই গৈ চীনৰ জেহোল প্ৰদেশত সোমালগৈ। পিপিং চহৰৰ ওচৰ চাপিলগৈ। তেওঁলোকে অজুহাত দেখুৱাইছিল দস্যুসকলে জেহোলক তেওঁলোকৰ প্ৰধান ঘাটি কৰি তাৰপৰা মাঞ্চুকুওৰ ওপৰত আক্ৰমণ চলাইছিল। আৰু তাৰ উপৰিও জেহোল মাঞ্চুকুওৰে অংশ বিশেষ।

এই নতুন অভিযান আৰু নতুন বছৰৰ প্ৰথম দিনত এই হত্যাকাণ্ড দেখি লীগৰ টোপনি ভাগিল। প্ৰধানকৈ সৰু সৰু দেশসমূহৰ জেদ পুৰাৰ নোৱাৰি

লীগে লিটন বিপৰ্টৰ মন্তব্য স্বীকাৰ কৰি লৈ জাপানক দোষী বুলি সাব্যস্ত কৰিলে। জাপান চৰকাৰে অৱশ্যে এইকালে ভ্ৰূক্ষেপেই নকৰিলে। (কৰাৰ আৱশ্যকেই বা কি কাৰণ তেওঁলোকে জানে ডাঙৰ ডাঙৰ জাতিসমূহৰ বহুতে আনকি বৃটেনেও গোপনে তেওঁলোককেই সমৰ্থন কৰিছিল) কেৱল লীগৰপৰা বাহিৰ হৈ গল। লীগৰ সভ্যপদ ইস্তাফা দি জাপানীসকল ধীৰে সুস্থিৰে পিপিংৰ কালে আগুৱাই গল। বাটত তেওঁলোকক কোনেও বাধা নিদিলে। ১৯৩৩ চনৰ মে মাহত জাপানী সৈন্য যেতিয়া প্ৰায় পিপিং চহৰৰ দুৱাৰ দলি পাও পাও হয়, এনে সময়তে চীনৰ লগত জাপানৰ যুদ্ধ বিৰতি ঘোষণা কৰা হ'ল। জাপানী চৰকাৰৰেই জয় হ'ল। নানকিং চৰকাৰ আৰু বৰ্তমান কুউমিনটাঙৰ ওপৰত চীনৰ জনসাধাৰণ অতিশয় বিৰক্ত হৈ উঠিছে। ইয়াত আচৰিত হবলগীয়া একোৱে নাই। জাপানী-সকলৰ আক্ৰমণৰ সন্মুখত এওঁলোকে যি অপূৰ্ব খেলা দেখুৱাইছে তাৰ পিছতো জনসাধাৰণ বিৰক্ত নোহোৱাতোহে আচৰিত।

মাঞ্চুৰিয়াৰ এই ঘটনাটোৰ বিষয়ে বহু কথাই তোমাক কলোঁ। ঘটনাটো গুৰুতৰ কাৰণ চীনৰ ভৱিষ্যত কি হ'ব সেইটো ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে। তাৰ উপৰিও বেছি গুৰুতৰ আন এটি কাৰণত লীগ-অব-নেচনৰ প্ৰকৃত স্বৰূপ কি আৰু আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে অন্যায় অত্যাচাৰৰ প্ৰতি-কাৰ কৰিবলৈ ই কিমান অসমৰ্থক আৰু অসহায় তাৰ স্পষ্ট প্ৰমাণ এই ঘটনাৰ পৰাই পোৱা যায়। য়ুৰোপৰ ডাঙৰ ডাঙৰ জাতিবোৰৰ দুমুখীয়া নীতি আৰু চল-চক্ৰান্তৰ নমুনা ইয়াতে দেখা গ'ল। বিশেষকৈ এই ঘটনাৰ কাৰণে আমেৰিকাই (ই কিন্তু লীগৰ সভ্যও নহয়) জাপানৰ বিৰুদ্ধে এটা দৃঢ় মনোভাৱ লৈ থিয় হ'বলৈ চেষ্টা কৰিছিল, তাৰ ফলত প্ৰায় ইয়াৰ লগত যুদ্ধ হোৱাৰেই উপক্ৰম হৈছিল। কিন্তু তাৰ পিছতে দেখা গ'ল ইংলেণ্ড আৰু আন আন দেশসমূহে গোপনে জাপানক সমৰ্থন কৰিছে। তাকে দেখি আমেৰিকাৰ সেই দৃঢ়তা আৰু নাথাকিল, জাপানৰ বিৰুদ্ধে গলে এই দেশসমূহে তেওঁলোকক অকলশৰীয়া কৰাৰ ভয়তে সতৰ্ক হৈ গল। লীগে বৰ ধৰ্ম প্ৰাণ ভাষাৰে জাপানক অপৰাধী ঘোষণা কৰিলে, কিন্তু তেওঁলোকক দণ্ড দিয়াৰ বিষয়ে একোকে নকৰিলে। মাঞ্চুকুওৰ পুতলা ৰাজ্যখনক অৱশ্যে লীগৰ সভ্যসকলে এতিয়াও স্বীকাৰ কৰি নলৰ কিন্তু সেইটোও এক প্ৰকাৰ প্ৰহসনৰ কথাই হৈ পৰিছে।

লীগে জাপানক অপৰাধী সাব্যস্ত কৰিছে, কিন্তু বৃটেনৰ মন্ত্ৰীসকলে আৰু ৰাজদূতসকলে এতিয়াও নানাবিধ উপায়েৰে জাপানৰ আচৰণক দোষমুক্ত বুলি কবলৈ বিচাৰিছে। ৰুচিয়াৰ সম্বন্ধে ইংলেণ্ডে যি ব্যৱহাৰ দেখুৱাইছে সি কিন্তু ইয়াৰ সম্পূৰ্ণ বিপৰীত। কেইমাহমান আগতে ৰুচিয়াত কেইজনমান ইংৰাজ ইঞ্জিনিয়াৰৰ বিচাৰ হৈছিল; চোৰাংচোৱা কাৰ্যৰ কাৰণে। বিচাৰত কেইজনমানে খালাচ পাইছে, দুজনক অলপ দিনৰ কাৰণে কাৰাদণ্ড বিহা হৈছে। কিন্তু তাকে লৈ বৃটেনত হুলস্থূল লাগি গৈছে, বৃটিছ চৰকাৰে আদেশ জাৰি কৰিছে—ৰুচিয়াৰ

কোনো বস্তু বৃটেইনত সোমাব নোৱাৰিব। তাৰ উত্তৰত ৰুচিয়ায়ো বৃটিছ বস্তু ৰুচিয়াত সোমোৱাতো নিষিদ্ধ কৰি দিছে।

এতেকে মাঞ্চুৰিয়া চীনৰ হাতৰপৰা গল আৰু চীনে বহুতো কিবা কিবি হেৰুৱালে। জাপানে চীনৰ বাকী অংশ দখল কৰিবলৈ চেষ্টা কৰিব ধৰিলে। তিব্বত এতিয়া স্বাধীন। মঙ্গোলীয়া চোভিয়েট শাসিত দেশ, ৰুচিয়াৰ চোভিয়েট ইউনিয়নৰ অন্তৰ্ভুক্ত।

আৰু এখন ডাঙৰ প্ৰদেশ লৈ চীন বিব্ৰত হবলগীয়া পৰিছে। প্ৰদেশখনৰ নাম চিনকিয়াঙ বা চীনা তুৰ্কীস্থান, তিব্বত আৰু চাইবেৰিয়াৰ মাজত ই অৱস্থিত। ইয়াৰকন্দ আৰু কাচগড় এই প্ৰদেশৰ অন্তৰ্গত। কাশ্মীৰৰ শ্ৰীনগৰৰপৰা লাডাখৰ লেহৰে বহুতো সদাগৰে নিয়মিতভাৱে তালৈ অহা-যোৱা কৰে। এই প্ৰদেশৰ বেছিভাগেই তুৰ্কীজাতীয় মুছলমান। তেওঁলোকৰ আচাৰ ব্যৱহাৰ, সংস্কৃতি আনকি পামবোৰো চীনাসকলৰ দৰে। কিন্তু চীনৰ কেন্দ্ৰস্থানৰপৰা তেওঁলোক বহুত দূৰত আছে, গোবী মৰুভূমিয়ে এই ব্যৱধানৰ সৃষ্টি কৰিছে। চলাচলৰ ব্যৱস্থা অতি পুৰণি ধৰণৰ। চীনৰ লগত তেওঁলোকৰ একতা সিমান দৃঢ় নহয় আৰু তেওঁলোকৰ মাজত তুৰ্কী জাতীয়তাবাদে কেতিয়াবা মূৰ দাঙি উঠে। মহাযুদ্ধৰ পিছৰপৰা, এই বিৰাট অঞ্চলটো আন্তৰ্জাতিক ৰাজনৈতিক খেলাৰ ঠাই হৈ পৰিছে। ইংলেণ্ড, ৰুচিয়া আৰু জাপানে চীনৰ বিৰুদ্ধে আৰু নিজৰ ভিতৰত ষড়যন্ত্ৰ আৰু চোৰাংচোৱাগিৰি কৰি আৰু স্থানীয় নেতাসকলৰ পৰস্পৰৰ বিৰুদ্ধে পক্ষ সমৰ্থন কৰি আহিছে।

১৯৩৩ চনৰ প্ৰথম ভাগত চিনকিয়াঙ প্ৰদেশত তুৰ্কীসকলৰ এক বিদ্ৰোহ হয়। ইয়াৰকন্দ আৰু কাচগড়ৰ পতন হ'ল আৰু এটি প্ৰজাতন্ত্ৰৰ স্থাপন হল। বৃটিছ পক্ষই অভিযোগ কৰিলে, এই বিদ্ৰোহৰ পিছত চোভিয়েটৰ হাত আছে। ইফালে আকৌ চোভিয়েটে মুকলিভাৱেই কৈছে, এই বিদ্ৰোহ জগাই তুলিছে কেইজনমান সাম্ৰাজ্যবাদীয়ে। তেওঁলোকৰ ইচ্ছা হৈছে চিনকিয়াঙক চীন আৰু ৰুচিয়াৰ মাজত এখন প্ৰাচীৰ ৰাজ্যলৈ পৰিণত কৰা, যেনে মাঞ্চুকুও। চিন-কিয়াঙত এই বিদ্ৰোহ যি বৃটিছ সেনাপতিয়ে জগাই তুলিছিল তেওঁৰ নামো এওঁ-লোকে প্ৰকাশ কৰি দিছিল।

মন্তব্য :— চীনা চৰকাৰ সমৰ্থকসকলে চিনকিয়াঙৰ বিদ্ৰোহ দমন কৰিছিল, খুব সম্ভৱ চোভিয়েট কৰ্তৃপক্ষই এই ঘটনাত কিছু পৰিমাণে সহায় কৰিছিল। ফলত মধ্য এচিয়াত চোভিয়েটৰ মৰ্য্যাদা বাঢ়ি গল আৰু লগে লগে বৃটিছৰ মৰ্য্যাদা কমি গল।

---

*পিছৰ কালত দুয়ো দেশৰ মাজত এটি চুক্তি সম্পাদিত হোৱাৰ ফলত ইংলেণ্ড আৰু ৰুচিয়াৰ মাজত এই বাণিজ্য যুদ্ধৰ অৱসান হৈছিল।

১৭৬

সমাজতন্ত্ৰী চোভিয়েট সাধাৰণতন্ত্ৰসমূহৰ যুক্তৰাষ্ট্ৰ

৭ জুলাই, ১৯৩৩

এইবাৰ উনতি যাম ৰুচিয়ালৈ, চোভিয়েটৰ দেশলৈ য'ত সেই গল্পটো এৰি আহিছিলোঁ তাৰপৰাই আৰম্ভ কৰিম। ১৯২৪ চনৰ জানুৱাৰী মাহত বিপ্লৱৰ নেতা আৰু প্ৰাণ সঞ্চাৰক লেনিনৰ মৃত্যু হ'ল—তালৈকে তোমাক মই কৈছোঁ। তাৰ পিছত বহুতো চিঠি লেখিছোঁ আন আন দেশৰ কথা লৈ, আৰু সেই চিঠিবোৰত বহুবাৰ ৰুচিয়াৰ নাম উল্লেখ কৰিছো। ইউৰোপৰ সমস্যা বা ভাৰতৰ সীমাৰেখা বা মধ্য প্ৰাচ্যৰ দেশ চীন আৰু জাপানৰ কথা কবলৈ গৈ ৰুচিয়াৰ নাম বাৰে বাৰে লোৱা হৈছে। এইটো নিশ্চয় ইমান দিনে বুজিব পাৰিছা যে একো একোটা দেশৰ ৰাজনৈতিক বা অৰ্থনৈতিক জীৱন আন আন দেশবোৰৰপৰা পৃথক কৰি চোৱা বৰ টান, টান কিয়; অসম্ভৱেই। বেলেগ বেলেগ দেশৰ মাজত পৰস্পৰ সম্পৰ্ক আৰু পৰস্পৰ নিৰ্ভৰতা যোৱা কেইবছৰমানৰ ভিতৰত বৰকৈ বাঢ়ি উঠিছে। বহুকালৰপৰাই এই গোটেই পৃথিৱীখনেই এখন মাত্ৰ অখণ্ড দেশত পৰিণত হৈ গৈছে। ইতিহাসো এতিয়া পৰিণত হৈছেগৈ আন্তৰ্জাতিক ইতিহাসত, গোটেই জগতৰ ইতিহাসত। গোটেই পৃথিৱীৰ ফালে একেলগে চাব পাৰিলে তেতিয়াহে এতিয়াৰ এখন দেশৰ ইতিহাস ভালদৰে বুজাটো সম্ভৱ হয়।

ইউৰোপ আৰু এচিয়া জুৰি যি বিশাল অঞ্চলটো চোভিয়েট ইউনিয়নৰ অন্তৰ্গত হৈছে ধনীকতন্ত্ৰী জগতৰপৰা সি বেলেগ, অথচ সকলোতে অন্য জগতখনৰ লগত তাৰ সকলো সময়তে সংঘৰ্ষ ঘটিছে, সংঘাটো হৈছে বহু সময়ত। আগৰ কেইখা-খনো চিঠিত তোমাক কৈছোঁ প্ৰাচ্যজগতৰ প্ৰতি চোভিয়েট চৰকাৰে এটা অতি উদাৰ নীতি অৱলম্বন কৰিছিল। তুৰস্ক, পাৰস্য আৰু আফগানিস্থানক সহায় কৰিছিল। চীনৰ লগতো অন্তৰঙ্গ বন্ধুত্ব স্থাপন কৰিছিল, তাৰ পিছত হঠাৎ এদিন সেই বন্ধুত্ব ভাঙি গ'ল। তোমাক কৈছিলোঁ কি দৰে ইংলেণ্ডৰ আৰ্কচ খানাতলাচী হ'ল, জিনিভিয়েৰৰ চিঠি আবিষ্কৃত হ'ল—পিছত জনা গ'ল যে সেই চিঠিখন জাল, তথাপি কিন্তু সেই চিঠিখনে বৃটেনৰ এটা সাধাৰণ নিৰ্বাচনতো প্ৰভাৱ পেলাইছিল। এইবাৰ তোমাক মই চোভিয়েট ৰাজ্যৰ কেন্দ্ৰস্থললৈ লৈ যাম—দেখিবা তাত সমাজ ব্যৱস্থাৰে কি অদ্ভুত আৰু আচৰিত পৰীক্ষা চলিছিল, তাৰ ক্ৰমবিকাশৰ ইতিহাস।

বিপ্লৱৰ পিছত প্ৰথম চাৰিটা বছৰ ১৯১৭ৰপৰা ১৯২১ চনলৈকে ৰুচিয়াই নানাবিধ শত্ৰুৰ আক্ৰমণৰপৰা বিপ্লৱক জীয়াই ৰাখিবলৈ প্ৰাণপণ যুদ্ধ কৰিবলগীয়া হ'ল। দেশৰ ইতিহাসত যি এটা অভাৱ উত্তেজনা, আৰু নাটকীয় ঘটনাৰ যুগ— যুদ্ধ, বিদ্ৰোহ, গৃহযুদ্ধ, অনাহাৰ আৰু মৰণৰ কাহিনীৰে ভৰপূৰ। ইয়াৰ আকাশ উজ্জ্বল কৰি ৰাখিছিল জনসাধাৰণৰ আত্মোৎসৰ্গৰ পৰম আগ্ৰহে আৰু আদৰ্শ অটুট ৰাখিবৰ কাৰণে তেওঁলোকৰ অপূৰ্ব বীৰত্বই। সেই বীৰত্ব, সেই আত্মোৎসৰ্গৰ তেতিয়াই স্বৰগৰপৰা পুৰস্কাৰ নাপাই বুলি তেওঁলোকে জানিছিল, তথাপি তেওঁলোকৰ মন আশাৰে ভৰপূৰ আছিল আৰু সেই আশাৰ প্ৰেৰণাতে তেওঁলোকে তেওঁলোকৰ সেইদিনৰ সেই অপৰিসীম দুখ দুৰ্দশাক সহ্য কৰিব পাৰিছিল। এই যুগটোৰ নাম 'সামৰিক কমিউনিজিমৰ যুগ'।

তাৰ পিছত ১৯২১ চনত লেনিনে নতুন অৰ্থনৈতিক পৰিকল্পনা বা 'নেপ' (NEP)ৰ উদ্বোধন কৰিলে, দেশৰ জনসাধাৰণৰ সেই সংগ্ৰামৰ উগ্ৰতাও অলপ কমি গ'ল। এইটো হ'ল কমিউনিজিমৰ আদৰ্শৰপৰা অলপ পিছুৱাই যোৱা, দেশত বুৰ্জোৱা যিসকল আছে তেওঁলোকৰ লগত এটা মীমাংসা কৰা। তাৰ মানে অৱশ্যে ই নহয় যে বলচেভিক নেতাসকলে তেওঁলোকৰ উদ্দেশ্যকে সলনি কৰিলে। এইটো কেৱল আছিল তেওঁৰ খন্তেকৰ কাৰণে জিৰণি। এখোজ পিছুৱাই তেওঁলোকে অলপ জিৰাই ললে, নতুন কৰি শক্তি গোটাই ললে, যেন পিছত আকৌ একেলগে বহুখোজ আগুৱাই যাব পাৰে। এতেকে চোভিয়েটসকল তেতিয়া স্থিৰ হৈ ৰহিল, জাতিৰ বহুখিনি তেতিয়া ধ্বংস হৈ গৈছে তাক আকৌ গঢ়ি তোলাৰ মহান কৰ্তব্যত হাত দিলে। ঘৰ দুৱাৰ, ৰাস্তা, পদুলি বনোৱাৰ কাৰণে তেতিয়া তেওঁলোকক লাগে কলকব্জা, লাগে মালবস্তু, ৰেলৰে ইঞ্জিন, ৰেল গাড়ী, মটৰ ট্ৰাক, ট্ৰেক্টৰ, কাৰখানা বহুৱাৰ কাৰণে যন্ত্ৰপাতি আৰু সাজ-সৰঞ্জাম। এইবোৰ সকলোকে তেওঁলোকে কিনিব লাগিব বিদেশৰপৰা, কিন্তু কিনিবলৈ তেওঁলোকৰ ধন বুঢ়েই নাই। এতেকে তেওঁলোকে এইবোৰ বিদেশৰ পৰা ধাৰে পাবৰ কাৰণে চেষ্টা কৰিলে, যে যিবোৰ বস্তু তেওঁলোকে কিনিছে, তাৰ দামটো পিছত সুবিধামতে কিস্তি কৰি শোধ কৰিব। ধাৰ পোৱা যায় য'ত দুখন দেশৰ মাজত সদ্ভাৱ আছে তাত; য'ত চৰকাৰীভাৱে ইজনে সিজনক স্বীকৃতি দিবৰ ইচ্ছা নকৰে, তাত কোনে কাক ধাৰে দিব। এতেকে চোভিয়েট ৰুচিয়াই য়ুৰোপৰ ডাঙৰ ডাঙৰ জাতিবোৰৰ ওচৰত সুবিধা পাবৰ কাৰণে তেওঁলোকৰ লগত কূটনৈতিক আৰু বাণিজ্যৰ সম্পৰ্ক স্থাপনৰ উদগ্ৰীৱ হৈ উঠিল। কিন্তু এই ডাঙৰ ডাঙৰ সাম্ৰাজ্যবাদী জাতিসমূহৰ মন বলচেভিকসকলৰ প্ৰতি আৰু তেওঁলোকৰ সকলোবোৰ কাৰ্যকলাপৰ প্ৰতি বিদ্বেষেৰে ভৰা। তেওঁলোকে জানে কমিউনিজিম এটা বীভৎস কথা, যি কৰি হওক তাক উচ্ছেদ কৰিবই লাগিব। বিদেশীসকলৰ প্ৰভাৱান্বিত যুদ্ধৰ সময়তে অৱশ্যে তেওঁলোকে ইয়াক উচ্ছেদ কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছিল; সেই চেষ্টা সফল নহ'ল। চোভিয়েটৰ লগত কোনো সম্পৰ্ক নাৰাখাটোৱেই তেওঁলোকে ভাল পায়। কিন্তু গোটেই পৃথিৱীৰ ছভাগৰ এভাগ যি চৰকাৰৰ নিয়ন্ত্ৰণৰ অধীনত তাক অৱহেলা কৰা সহজ কথা

নহয়। তাতকৈও টান কাম হৈছে খৰিদ্দাৰক অৱহেলা কৰা, যি খৰিদ্দাৰে বৃহৎ পৰিমাণৰ দামী দামী কল কব্জা কিনিবলৈ বিচাৰিছে। ৰুচিয়া কৃষি প্ৰধান দেশ; জাৰ্মাণ আমেৰিকা, ইংলেণ্ড শিল্প প্ৰধান দেশ; এওঁলোকৰ ভিতৰত বেহাবেপাৰ চলিলে দুয়ো পক্ষৰেই লাভ। কাৰণ ৰুচিয়াই তেতিয়া কল-কাৰখানাই কিনিব বিচাৰিব; তাৰ সলনি কম দামত খাদ্য দ্ৰব্য আৰু কেচামাল দিবলৈ সমৰ্থ।

শেষলৈ প্ৰমাণ হ'ল, কমিউনিজিমৰ বিদ্বেষতকৈ পইচাৰ আকৰ্ষণেই প্ৰৱল। প্ৰায় গোটেই দেশেই চোভিয়েট চৰকাৰক স্বীকাৰ কৰি ললে, এওঁলোকৰ বহুতে তেওঁলোকৰ লগত বাণিজ্য সন্ধিও কৰি পেলালে। কেৱল এখন দেশেই আগৰেপৰাই চোভিয়েট চৰকাৰক মানি লবলৈ আপত্তি কৰিছিল—সেইখন দেশ হৈছে আমেৰিকা। ৰুচিয়া আৰু আমেৰিকাৰ ভিতৰত বেহাবেপাৰ অৱশ্যে অলপ অলপ চলিছিল।

এনেদৰে চোভিয়েট চৰকাৰে পুঁজিবাদী আৰু সাম্ৰাজ্যবাদী দেশবোৰৰ প্ৰায় সকলোৰে লগত সম্পৰ্ক স্থাপন কৰিলে, এওঁলোকৰ মাজত বহুতৰে অৰিয়া-অৰিৰ ফলত ৰুচিয়াই নিজৰ অলপ লাভো কৰিলে; যি লাভ ১৯২২ চনত পৰাজিত জাৰ্মাণীয়ে তেওঁলোকৰ মিত্ৰতা কামনা কৰি 'ৰাপালো' সন্ধি স্থাপন কৰা সময়ত ৰুচিয়াই সুযোগ গ্ৰহণ কৰিছিল। কিন্তু এওঁলোকৰ এই আপোচৰ স্থায়িত্ব একো নাছিল, ধনীকতন্ত্ৰী আৰু কমিউনিজিম এই দুটি প্ৰথাৰ মাজত মূলতে এটি প্ৰভেদ আছিল। বলচেভিকসকলে সকলো সময়তে উৎপীড়িত আৰু শোষিত মানুহক আন্দোলন কৰাত উৎসাহিত কৰিছিল, সাম্ৰাজ্যবাদী দেশসমূহৰ অধীনত থকা জাতি আৰু কাৰখানাৰ শ্ৰমিক সকলোকে মাতি কৈছিল 'আগত শোষকসকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰা। এইটো তেওঁলোকে চৰকাৰীভাৱে নকৰিছিল, কৰিছিল কমিণ্টাৰ্ন বা কমিউনিষ্ট আন্তৰ্জাতিকাৰ যোগেদি। ইফালে সাম্ৰাজ্যবাদী জাতিসমূহে, বিশেষকৈ ইংলেণ্ডে চোভিয়েটৰ অস্তিত্বকে বিলোপ কৰিবলৈ সকলো সময়তে চক্ৰান্ত কৰিছিল। এতেকে এওঁলোকৰ মাজত যুদ্ধ-বাগৰ লগাটো স্বাভাৱিক; প্ৰায় যুদ্ধ-বাগৰ লাগিছিল আৰু তেতিয়া দুয়োপক্ষৰ মাজত কূটনৈতিক সম্পৰ্ক ছেদ হৈ গৈছিল। ১৯২৭ চনত আৰ্কচ খানাতালাচীৰ ফলত ইংলেণ্ডৰ লগত ৰুচিয়াৰ সম্পৰ্ক ছিঙিছিল, এই কথা তোমাক কৈছো। ইয়াৰ কাৰণ অৱশ্যে সহজেই বুজা যায়। ইংলেণ্ড হৈছে সাম্ৰাজ্যবাদী জাতিসমূহৰ ভিতৰত প্ৰধান আৰু চোভিয়েট ৰুচিয়া হৈছে এনে মতবাদৰ প্ৰতীক যিয়ে গোটেই সাম্ৰাজ্যবাদৰ মূল উচ্ছেদ কৰিব বিচাৰে। কিন্তু এই দুখন শত্ৰু দেশৰ মাজত বিবাদৰ ইয়াতকৈও বেছি কাৰণ কিছু আছে বুলি মনে ধৰে। আৰু শাণিত ৰুচিয়া আৰু ইংলেণ্ডৰ ভিতৰত বহু পুৰুষ ধৰি যি বংশানুক্ৰমে আৰু কুলপ্ৰথা অনুসৰি শত্ৰুতা চলি আহিছে ইয়াতো হয়তো তাৰেই খাঁতিৰাখৰি বৰ্তমান।

ইংলেণ্ড আৰু অন্যান্য সাম্ৰাজ্যবাদী জাতিবোৰ এতিয়া ভয়তে পেপুৱা লাগিছে। সেই ভয় চোভিয়েট সৈন্যবাহিনীলৈ নহয়, সেই ভয় হৈছে অলক্ষ্য অথচ তাতকৈ বেছি শক্তিমান আৰু বিপদজনক এটা বস্তুক, সেই বস্তুটো হৈছে চোভিয়েটৰ মতবাদ আৰু কমিউনিজিমৰ প্ৰচাৰ কাৰ্য। ইয়াৰ ফলটো স্বৰূপে এওঁলোকে ৰুচিয়াৰ বিৰুদ্ধে


ছোভিয়েট ৰাছিয়া কৰ্তৃক মধ্য এচিয়াৰ উন্নয়ন
উত্তৰ সাগৰ
লেলিনগ্ৰাড
মস্কো
পঃ চাইবেৰিয়া
ইৰখুটস্ক
নভোচিবিৰস্ক
ওমস্ক
কুচনেৎচ অববাহিকা
চামাৰা
ইউক্ৰেন ডেনেৎচ অঞ্চল
ককেচাচ
বাকু
কাজাকস্থান
১৭৫০ মাইল
কিৰঘিজ
সাঃ তন্ত্ৰ
তাচখন্দ
তাজিকিস্থান
উজবেক সাঃ তন্ত্ৰ
তুৰ্কমেন সাঃ তন্ত্ৰ
প্ৰাগ্‌ বিপ্লৱ যুগৰ ৰুছোপত ৰাছিয়াৰ সীমাৰেখা
নতুন শিল্প প্ৰধান অঞ্চল

এটা বিৰামহীন আৰু বহুপৰিমাণে মিছা প্ৰচাৰকাৰ্য চলাইছে, চোভিয়েটসকলৰ অত্যাচাৰ সম্বন্ধে অতি আচৰিত গল্প ৰচনা কৰিছে। চোভিয়েট নেতাসকলৰ সম্বন্ধে বৃটেনৰ ৰাজনীতিবিদসকলে এনে কিছুমান ভাষা ব্যৱহাৰ কৰিছে, যিটো এক-মাত্ৰ যুদ্ধৰ সময়ত শত্ৰুপক্ষৰ বাহিৰে তেওঁলোকে কেতিয়াও কাৰো ওপৰত প্ৰয়োগ কৰা নাই। লৰ্ড বাৰ্কেনহেডে চোভিয়েট ৰাষ্ট্ৰনীতিবিদসকলৰ বৰ্ণনা দিছে—'এটা হত্যাকাৰীৰ দল' বুলি। এনে অৱস্থাত চোভিয়েট আৰু সাম্ৰাজ্যবাদী জাতি-সমূহৰ মাজত কোনো প্ৰকৃত বন্ধুত্ব থাকিব যে নোৱাৰে, এইটো সহজে বুজা যায়। এওঁলোকৰ দুয়োপক্ষৰ যি প্ৰভেদ সি একেবাৰে নীতিৰ মূলতে। বিশ্বযুদ্ধৰ বিজেতা আৰু বিজিত জাতিসমূহো হয়তো আকৌ এদিন একত্ৰিত হ'ব পাৰিব, কিন্তু কমিউনিষ্ট আৰু পুঁজিবাদীসকলৰ মিল কোনো দিনেই নহ'ব। সন্ধি এওঁলোকৰ মাজত যদি হয়—সাময়িক সন্ধি হ'ব পাৰে সেই সন্ধি আচলতে যুদ্ধ বিৰতি মাত্ৰ।

বিদেশীসকলৰ ওচৰত ৰুচিয়াৰ যিমান ধাৰ আছিল, চোভিয়েট ৰুচিয়াই সেই টকা দিবলৈ অস্বীকাৰ কৰিছে, এই কথাকে লৈ পুঁজিবাদী দেশসমূহৰ লগত ইয়াৰ বাৰে বাৰে কাজিয়া, তৰ্কাতৰ্কি হৈছে। এতিয়া যি দুঃসময় পৃথিৱীত পৰিছে তাৰ হেঁচাত কোনো দেশেই তাৰ ধাৰৰ টকা ঠিকমতে শোধাবলৈ পৰা নাই। কিন্তু তথাপিও মাজে মাজে এই আলোচনাটি উঠি থাকে। বলচেভিকসকলৰ আগতে জাৰে আন দেশৰপৰা যিমান টকা ধাৰ কৰিছিল, বলচেভিকসকলে শাসন-ভাৰ হাতত লৈয়েই কলে—যে সেইটো তেওঁলোকৰ শোধ কৰিবলগীয়া নহয়। এই নীতি তেওঁলোকে বহুত আগতে ঘোষণা কৰিছিল—১৯০৫ চনত যিটো বিপ্লৱ ব্যৰ্থ হৈছিল সেই সময়তেই। ইয়াৰ লগত সামঞ্জস্য ৰখাই ৰাখি, চীন আদি প্ৰাচ্য-দেশৰ ওচৰত তেওঁলোকৰ যি টকা পাওনা আছিল তাৰ দাবীও চোভিয়েটে এৰি দিলে। তাৰ উপৰিও জাৰ্মাণীয়ে যি ক্ষতিপূৰণ দিব তাৰ কোনো অংশ তেওঁলোকে দাবী নকৰিলে। ১৯২২ চনত এইবোৰ দেশৰ টকা সম্বন্ধে মিত্ৰপক্ষৰ চৰকাৰ সমূহে চোভিয়েটসমূহৰ ওচৰত এখন স্মাৰক লিপি পঠালে। উত্তৰ চোভিয়েটবোৰে অতীত কালতো বহুত পুঁজিবাদী দেশেই যে বহুবাৰ এই ধৰণে দিবলগীয়া ধাৰ আৰু দায়িত্ব অস্বীকাৰ কৰিছে, বিদেশীসকলৰ ধন-সম্পত্তি বাজেয়াপ্ত কৰি দিছে, সেই কথা তেওঁলোকক সোঁৱৰাই দিলে। 'বিপ্লৱৰ পৰা উদ্ভূত চৰকাৰ বা ব্যৱস্থাই ধ্বংস হৈ যোৱা চৰকাৰৰ কোনো দায়িত্ব বা দিবলগীয়া ধাৰ মানি লবলৈ বাধ্য নহয়।' চোভিয়েট চৰকাৰে বিশেষকৈ মিত্ৰপক্ষৰেই এখন দেশ ফ্ৰান্সে তাৰ বৃহৎ বিপ্লৱৰ সময়ত কি কৰিছিল তাক সোঁৱৰাই দিলে।

'ন্যাচনেল কনভেনচনে—যি কনভেনচনৰ ন্যাচনেলসকলেই আইন সম্মত উত্তৰা-ধিকাৰী বুলি কয়—১৭৯২ চনৰ ২২ ডিচেম্বৰ তাৰিখে ঘোষণা কৰিছিল যে 'স্বেচ্ছা-চাৰী ৰজাসকলে যিবোৰ সন্ধি স্থাপন কৰি গৈছে, প্ৰজাসকলৰ সাৰ্বভৌম ক্ষমতা তাৰ চৰ্তবোৰে আবদ্ধ হব নোৱাৰে।' এই ঘোষণা অনুসৰি বিপ্লৱী ফ্ৰান্সে কেৱল আগৰ ৰজাসকলৰ আমোলত আন আন দেশৰ লগত যিবোৰ ৰাজনৈতিক সন্ধি-পত্ৰ ৰচিত হৈছিল সেইবোৰকে কানিচিৰি নেপেলালে—আগৰ ওচৰত তেওঁলোকৰ যি জাতীয় ঋণ আছিল তাকো শোধ কৰিবলৈ অস্বীকাৰ কৰিলে।

ঋণ অস্বীকাৰ কৰি চোভিয়েট চৰকাৰে এইদৰে যুক্তি দেখুৱা সত্ত্বেও অন্যান্য দেশবোৰৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ ইয়াৰ ইমান আগ্ৰহ যে ইয়াৰ পিছতো ঋণৰ প্ৰশ্নটোলৈ তেওঁলোকৰ লগত আলোচনা কৰিবলৈ ই সম্পূৰ্ণ প্ৰস্তুত থাকিল। কিন্তু ইয়াত এটি চৰ্ত আছিল যে—সেই দেশৰ চৰকাৰে আগতে চোভিয়েটক বিনা-চৰ্তে স্বীকাৰ কৰি ল'ব, তেতিয়াহে সেই আলোচনা হ'ব পাৰিব—নহলে নোৱাৰে। বাস্তৱিকতে ইংলেণ্ড, ফ্ৰান্স আৰু আমেৰিকাক তেওঁলোকৰ পাবলগীয়া টকা শোধাই দিব বুলি বহুতো প্ৰতিশ্ৰুতি চোভিয়েট চৰকাৰে দিছিল, কিন্তু ৰুচিয়াৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ এই পুঁজিবাদী দেশসমূহে বিশেষ উৎসাহৰ পৰিচয় নিদিলে।

ৰুচিয়াৰ ওচৰত বৃটেনে যি টকাৰ দাবী কৰিছিল, চোভিয়েট চৰকাৰে বৃটে-নৰ ওপৰত অৰ ওলোটা এটা মজাৰ দাবী কৰি বহিল। চৰকাৰী ঋণ, যুদ্ধ সংক্ৰান্ত ঋণ, ৰেলৰে বস্তু আৰু বাণিজ্য বিষয়ৰ কৰ আদি লৈ ৰুচিয়াৰ ওচৰত বৃটেনৰ মুঠ দাবীৰ পৰিমাণ আছিল প্ৰায় ৮৪,০০০০,০০০ পাউণ্ড। বলচেভিকসকলে ওলোটা দাবী তুলিলে এই বুলি যে, ৰুচিয়াৰ গৃহযুদ্ধৰ সময়ত বৃটিছ আৰু বৃটিছ সৈন্য সকলে চোভিয়েটৰ বিৰোধী পক্ষক সহায় কৰিছিল, এতেকে গৃহযুদ্ধত ৰুচি-য়াৰ যি ক্ষতি হৈছে, তাৰ কাৰণে ক্ষতি পূৰণৰ এটা অংশ বৃটেনে পৰিশোধ কৰিব লাগিব। হিচাব কৰাত মুঠ ক্ষতিৰ পূৰণ হ'ল ৪,০৬,৭২,২৬০০০ পাউণ্ড। ৰুচিয়াই কলে ইয়াৰ ভিতৰত বৃটেনৰ দিবলগীয়া অংশ হ'ল ২,০০,০০,০০,০০০ পাউণ্ড। এতেকে বৃটেনে যি টকাৰ দাবী কৰিছিল, তাৰ ওপৰত ৰুচিয়াৰ ওলোটা দাবীৰ পৰিমাণ হ'লগৈ তাৰ প্ৰায় আঢ়ৈ গুণ।

বলচেভিকসকলৰ এই ওলোটাদাবীৰ পিছত যুক্তিৰ জোৰো কম নাছিল। তাৰ উদাহৰণ স্বৰূপে তেওঁলোকে দেখুৱালে 'আলাবামা ক্ৰুজাৰ' সংক্ৰান্ত ডাঙৰ কাহি-নীটো। ১৮৬০ চনৰ পিছত আমেৰিকাত গৃহযুদ্ধ হোৱা সময়ত দক্ষিণ অঞ্চলৰ ৰাষ্ট্ৰ-বোৰৰ এই জাহাজখন ইংলেণ্ডত তৈয়াৰ কৰা হৈছিল। গৃহযুদ্ধ আৰম্ভ হোৱাৰ পিছত এই জাহাজখনে লিভাৰপুলৰপৰা যাত্ৰা কৰি উত্তৰ অঞ্চলৰ ৰাষ্ট্ৰবোৰৰ জাহাজ আৰু বাণিজ্যৰ বহুতো ক্ষতি কৰিলে। তাকে লৈ ইংলেণ্ড আৰু আমেৰিকাৰ মাজত যুদ্ধ লগাৰ সম্ভাৱনা হ'ল। আমেৰিকাই কলে— যুদ্ধৰ ভিতৰত এই ক্ৰুজাৰ খনক দক্ষিণ অঞ্চলৰ ৰাষ্ট্ৰসমূহৰ হাতত সমৰ্পণ কৰা ইংলেণ্ডৰ পক্ষে বৰ অন্যায় কাম হৈছে, এতেকে এই ক্ৰুজাৰে তেওঁলোকৰ যিমান ক্ষতি কৰিছে তাৰ গোটেই খনৰ কাৰণেই ক্ষতি পূৰণ তেওঁলোকে বৃটেনৰ ওচৰত দাবী কৰিলে। ঘটনাটো মীমাং সাৰ কাৰণে চালীচিত দিয়া হ'ল। শেষলৈ ইংলেণ্ডে ক্ষতি পূৰণৰ বাবে ৩২, ২৯,১৬৬ পাউণ্ড যুক্তৰাষ্ট্ৰক শোধাবলৈ বাধ্য হ'ল।

এখন মাত্ৰ জাহাজ সাজি দিয়াৰ বাবে ইমানখিনি ক্ষতিপূৰণ দিবলগীয়া হৈছিল ইংলেণ্ডে ; ৰুচিয়াৰ গৃহযুদ্ধত ই যিমানখিনি অংশ গ্ৰহণ কৰিছে তাৰ গুৰুত্ব আৰু পৰিণাম বহুতো বেছি। চৰকাৰী কৰ্তৃপক্ষই চৰকাৰীভাৱে ঘোষণা কৰিছে বিদেশী-সকলৰ হস্তক্ষেপৰ কাৰণে ৰুচিয়াত যি যুদ্ধ-বিগ্ৰহ চলিছিল তাত মানুহ মৰিছে ১৩,৫০,০০০ জন।

ৰুচিয়াৰ এই পুৰণি ঋণৰ সমস্যা আজিও সম্পূৰ্ণ মীমাংসা হোৱা নাই ;

কেৱল বহুদিন হৈ গৈছে বুলিয়েই এতিয়া ইয়াৰ গুৰুত্ব আৰু বিশেষ নাই। ইতি-মধ্যে দেখা গৈছে, ৰুচিয়াৰ ক্ষেত্ৰত যি ঋণ অস্বীকাৰ কৰা দেখি ইংলেণ্ড, ফ্ৰান্স, জাৰ্মেনী, ইটালী আদি ডাঙৰ ডাঙৰ পুঁজিবাদী আৰু সাম্ৰাজ্যবাদী দেশসমূহে বিস্ময়ত হতভম্ব হৈ গৈছিল, তেওঁলোকে নিজেও কিছু পৰিমাণে সেই অন্যায় আচৰণকে কৰিবলৈ ধৰিছে। এই কথা অৱশ্যে সঁচা, তেওঁলোকে তেওঁলোকৰ ঋণ অস্বীকাৰ কৰা নাই বা ধনীকতন্ত্ৰৰ মূল উচ্ছেদ কৰিবলৈ বিচৰা নাই। তেওঁলোকে কেৱল টকা দিয়াৰ কিস্তিটো বন্ধ কৰিছে আৰু টকা দিয়া নাই।

আন আন দেশৰ প্ৰতি চোভিয়েট চৰকাৰে যি নীতি অৱলম্বন কৰিলে সি হৈছে, প্ৰায় যি কোনো প্ৰকাৰে হওক শান্তি স্থাপনৰ নীতি। তেওঁলোকৰ তেতিয়া সময়ৰ আৱশ্যক, শক্তি গোটাই লোৱাৰ সময় আৰু বিৰাট এখন দেশক সমাজতন্ত্ৰত তেওঁ-লোকে গঢ়ি তুলিবলৈ বিচাৰিছে, তেওঁলোকৰ সকলোখিনি মনযোগ তেতিয়া সেই কামেই আকৰ্ষিত হৈ আছে। আন আন দেশত এনে কিবা সমাজ বিপ্লৱ ঘটাৰ কোনো আশা নাছিল, এতেকে 'জগত জুৰি বিপ্লৱ' ঘটাব বুলি যি ধাৰণা তেওঁলোকৰ আছিল সেইটো লাহে লাহে কমি গ'ল। পুঁজিবাদী নীতিৰে শাসিত হোৱা সত্ত্বেও। প্ৰাচ্য জগতৰ দেশবোৰৰ লগত ৰুচিয়াই বন্ধুত্ব আৰু সহযোগিতাৰ সম্পৰ্ক স্থাপন কৰিলে; ৰুচিয়া, তুৰস্ক, পাৰস্য আৰু আফগানি-স্থানৰ মাজত বহুতো সন্ধি আৰু চুক্তিৰ ব্যৱস্থা হৈছিল, তাৰ কথা তোমাক কৈছোঁ। ডাঙৰ ডাঙৰ সাম্ৰাজ্যবাদী জাতিসমূহৰ প্ৰতি এওঁলোক সকলোৰে সমান ভয় আৰু বিতৃষ্ণা; সেইটোৱেই হ'ল এওঁলোকৰ মাজত ঐক্য স্থাপনৰ বিৰাট অৱকাশ।

১৯২১ চনত লেনিনে যি নতুন অৰ্থনৈতিক পৰিকল্পনা প্ৰৱৰ্তিত কৰিলে তাৰ উদ্দেশ্য আছিল, মধ্যবিত্ত কৃষক শ্ৰেণীক সমাজতন্ত্ৰবাদলৈ টানি অনা। ধনী কৃষক বা কুলকসকলক ('কুলক' কথাটোৰ অৰ্থ হৈছে হাতৰ মুঠি)—এই কাৰ্যত পোৱা নাছিল কাৰণ তেওঁলোক আছিল সৰু ডাঙৰ ধনী মানুহ, পুঁজিপতি, আৰু তেওঁলোকে সমাজতন্ত্ৰবাদৰ অগ্ৰগতিত বাধা দিছিল। গাওঁ অঞ্চলৰ সকলোতে বিজুলীশক্তি যোগান ধৰাৰ আয়োজন লেনিনে প্ৰস্তুত কৰিলে। বিজুলী শক্তি উৎপাদনৰ কাৰণে ডাঙৰ ডাঙৰ কল-কাৰখানা বহুৱা হ'ল। ইয়াৰ উদ্দেশ্য আছিল কৃষকসকলক বহু কালৰপৰা সহায় কৰা আৰু দেশত শিল্প প্ৰতিষ্ঠাৰ বাট সহজ কৰা। সকলোবোৰ ইবোৰৰ মাজেৰে তেওঁ কৃষকসকলৰ মাজত এটা শিল্পৰ প্ৰতি মনোভাব গঢ়ি তুলিবলৈ বিচাৰিছিল। কৃষকসকলৰ পাৰেঁ পাৰেঁ বিজুলী বাতি জ্বলিব ধৰিলে। তেওঁলোকৰ পথাৰ সমাৰৰ বহুত কামো বিজুলী শক্তিৰ দ্বাৰা সম্পাদন হ'ব ধৰিলে। এইবোৰ দেখি-শুনি তেওঁলোকেও ক্ৰমে আগৰ সেই পুৰণি ৰীতি-নীতি আৰু কুসংস্কাৰৰ মোহ এৰিব পাৰিলে, নতুন ধৰণে ভাবিব পৰা হ'ল। চহৰৰ শ্ৰমিকসকলে বিচাৰে, পাৰ্যপৰা তেওঁলোকে কম দামত খাদ্যবস্তু কিনিব, কেচামাল কিনিব, আৰু কাৰখানাত যিবোৰ বস্তু তেওঁলোকে তৈয়াৰ কৰিছে সকলো বেছি দামত বেচিব। আকৌ কৃষকসকলেও বিচাৰে চহৰৰপৰা যিবোৰ যন্ত্ৰপাতি আৰু কাৰখানাত তৈয়াৰ হোৱা আন আন মালবস্তু সস্তাত কিনিব আৰু তেওঁলোকে যি খাদ্যদ্ৰব্য আৰু কেচামাল উৎপন্ন কৰিছে তাক চৰা দামত বেচিব।

চাৰি বছৰে যি সামৰিক, কমিউনিজিম চলিল তাৰ ফলত ৰুচিয়াত এওঁলোকৰ বিৰোধ লাহে লাহে বাঢ়ি আহিছিল। প্ৰধানকৈ এই কাৰণেই এই বিৰোধৰ উগ্ৰতা কমাই দিবৰ কাৰণেই—লেনিনে 'নেপ'ৰ প্ৰবৰ্ত্তন কৰিলে আৰু কৃষকসকলক নিজৰ মতে মাল-বস্তু বিক্ৰী কৰাৰ সুযোগ দিলে।

দেশত বিজুলীশক্তিৰ প্ৰচলন বঢ়াৰ কাৰণে লেনিনৰ অসাধাৰণ উৎসাহ আছিল—এই সম্বন্ধে এটি সাংকেতিক অঙ্ক তেওঁ থিৰ কৰিছিল, সেইটো সকলোতে প্ৰসিদ্ধ হৈ গৈছিল। অঙ্কটো হৈছে—'বিদ্যুৎ+চোভিয়েট=সমাজতন্ত্ৰ।' লেনিনৰ মৃত্যুৰ পিছতো এই বিদ্যুৎ প্ৰবৰ্ত্তনৰ কাম বৰ জোৰেৰে চলি আছিল। কৃষক-সকলৰ মনত নিচা লগোৱাৰ অভিপ্ৰায়ে আৰু কৃষিৰ প্ৰণালীত উন্নতি সাধন কৰাৰ উদ্দেশ্যে—আৰু এটা কথা তেওঁ কৰিলে—কৃষি আৰু আন আন কামৰ কাৰণে বহু সংখ্যাৰ ট্ৰেক্টৰ কামত লগাই দিলে। এই ট্ৰেক্টৰৰ যোগান ধৰিলে আমেৰিকাৰ ফোৰ্ড কোম্পানীয়ে। ইয়াৰ উপৰিও চোভিয়েট চৰকাৰে ফোৰ্ডৰ লগত এটা বৰ ডাঙৰ চুক্তি সম্পন্ন কৰিলে—তাৰ ফলত ৰুচিয়াত এটা বৰ ডাঙৰ মটৰ তৈয়াৰ কৰা কাৰখানা বহুৱা হ'ল। তাত বছৰি এক লাখ মটৰ গাড়ী তৈয়াৰ কৰা হৈছিল। এই কাৰখানাত প্ৰধানকৈ ট্ৰেক্টৰ তৈয়াৰ কৰা হৈছিল।

চোভিয়েট চৰকাৰে আৰু এটা কাম কৰিলে, যাৰ ফলত বিদেশী জাতিবোৰৰ লগত তেওঁলোকৰ বিৰোধ হ'ল। কামতো হৈছে তেল আৰু পেট্ৰল উৎপাদন কৰা আৰু দেশৰ বাহিৰত গৈ বিক্ৰী কৰা। আজাৰবাইজানত আৰু ককেচাচ অঞ্চলৰ জৰ্জিয়াত এডোখৰ ঠাই আছে—তাত বৰ বেছি তেল পোৱা যায়। ইয়াৰ ওচৰা-উচুৰি ঠাইত এটা বৰ ডাঙৰ তেল প্ৰধান অঞ্চল আছে, তাৰ এলেকা পাৰস্য, মচুল আৰু ইৰাকলৈকে বিস্তৃত। হয়তো এই অঞ্চলটোও তাৰেই এটা অংশ। আকৌ কাস্পিয়ান সাগৰৰ পাৰত আছে বাকু, ই হ'ল দক্ষিণ ৰুচিয়াৰ বিখ্যাত তেল তৈয়াৰ কৰা চহৰ। পৃথিৱীৰ ডাঙৰ ডাঙৰ তেলৰ কোম্পানীবোৰে যি দৰত তেল বেচিছিল, চোভিয়েট চৰকাৰে তেওঁলোকৰ তেল আৰু পেট্ৰল তাতকৈ বহুত কম দামত বিদেশৰ বজাৰত বেচিব আৰম্ভ কৰিলে। এইবোৰ ডাঙৰ ডাঙৰ তেলৰ কোম্পানী—যেনে আমেৰিকাৰ ষ্টাণ্ডাৰ্ড অয়েল কোম্পানী, এংলো-পাৰ্শিয়ান অয়ল কোম্পানী, ৰয়েল ডাচ তেল কোম্পানী ইত্যাদি। এওঁলোক বৰ শক্তিমন্ত—পৃথিৱীৰ সকলো তেল যোগোৱাৰ কাম আচলতে এওঁলোকৰ হাতত আছিল। চোভিয়েট চৰকাৰে এওঁলোকতকৈ কম দামত তেল বেচাৰ ফলত এওঁলোকৰ ভীষণ ক্ষতি হ'ল, এতেকে এওঁলোকৰ খঙৰ সীমা নোহোৱা হ'ল। চোভিয়েটৰ তেলৰ বিৰুদ্ধে এওঁলোকে এখন যুদ্ধ আৰম্ভ কৰিলে, তাৰ তেলৰ নাম এওঁলোকে দিলে 'চোৰাং তেল'। কাৰণ ককেচাচ অঞ্চলত বিৰোধ তেলৰ খনি আছে, চোভিয়েট চৰকাৰে সেইবোৰ পূৰ্ব্বৰ ধনী মালিকসকলৰ হাতৰপৰা বাজেয়াপ্ত কৰি লৈছিল। কিছু-দিনৰ পিছত অৱশ্যে এওঁলোকেও এই 'চোৰাং তেল'ৰ লগত আপোচ কৰিলে।

এই চিঠি আৰু আন আন চিঠিতো মই সকলো সময়তে 'চোভিয়েট' বা 'চোভিয়েটসমূহৰ' নাম কৈছোঁ। বহুত সময়ত কৈছো ৰুচিয়াই এইটো কৰিলে,

ৰুচিয়াই সেইটো কৰিলে। কথাবোৰ মই একো নতবাকৈ একেটা অৰ্থতে ব্যৱহাৰ কৰিছোঁ। কথাটো আচলতে কি, তাকে তোমাক এবাৰ কম। বলচেভিক বিপ্লৱৰ পিছত ১৯১৭ চনৰ নবেম্বৰ মাহত, পেট্ৰোগ্ৰাড্ চহৰত চোভিয়েট প্ৰজাতন্ত্ৰৰ প্ৰতিষ্ঠা হৈছিল। জাৰৰ সাম্ৰাজ্যখন এখন একজাতি প্ৰধান ৰাষ্ট্ৰ নাছিল। য়ুৰোপ আৰু এচিয়াৰ দুয়ো মহাদেশৰেই বহুতো তলতীয়া জাতি ইয়াৰ অন্তৰ্গত আছিল। মূল ৰুচিয়া আছিল তেওঁলোক সকলোৰে গৰাকী। এইবোৰ তলতীয়া জাতিৰ মুঠ সংখ্যা প্ৰায় দুশৰ ওচৰা-উচৰি, এওঁলোকৰ মাজত আচাৰ প্ৰকৃতিৰ বহুত পাৰ্থক্য আছিল। জাৰৰ ৰাজত্বত এওঁলোকক তলতীয়া জাতি বুলিয়েই গণ্য কৰা হৈছিল, এওঁলোকৰ ভাষা, এওঁলোকৰ সংস্কৃতিকো বহখিনি দবাই ৰখা হৈছিল। মধ্য এচিয়াত যি অনুন্নত জাতিবোৰ আছিল, তেওঁলোকৰ উন্নতিৰ কাৰণে প্ৰকৃততে কোনো চেষ্টাই কৰা হোৱা নাছিল। ইহুদীবোৰৰ নিজৰ দেশ বুলিবলৈ একো নাছিল, কিন্তু সংখ্যালঘু জাতিবোৰৰ মাজত এওঁলোকৰ ওপৰত বিমানখিনি অত্যাচাৰ কৰা হৈছিল, এনেকুৱা অত্যাচাৰ বোধকৰো কোনেও সহ্য কৰিবলগীয়া হোৱা নাই। ইহুদীসকলৰ 'প্ৰগ্ৰোম' বা ব্যাপক হত্যাৰ উৎসৱে ইতিহাসত কলঙ্ক সানি থৈ গৈছে। ইয়াৰ ফলতেই এইবোৰ নিৰ্যাতিত জাতিৰ বহু লোকেই ৰুচিয়াৰ বিপ্লৱত যোগ দিছিল, আন্দোলনত গৈ যদিও এওঁলোকৰ প্ৰধান কাৰ্য আছিল জাতীয়-বিপ্লৱ—সমাজ বিপ্লৱ নহয়। ১৯১৭ চনৰ ফেব্ৰুৱাৰী মাহৰ বিপ্লৱৰ পিছত যি অস্থায়ী চৰকাৰ প্ৰতিষ্ঠা কৰা হ'ল, তেওঁলোকে এইবোৰ সৰু সৰু জাতিবোৰক, বহুতো আশ্বাস দিছিল আৰু প্ৰতিশ্ৰুতি দিছিল, কিন্তু কাৰ্যত এওঁলোকৰ কাৰণে একোকে নকৰিলে। ইফালে লেনিনে কিন্তু বলচেভিক দলৰ প্ৰথম অৱস্থাৰপৰাই, অৰ্থাৎ বিপ্লৱৰ বহুত আগৰেপৰা খুব জোৰ দি কৈছিল, প্ৰত্যেক জাতিকে আত্ম-নিয়ন্ত্ৰণৰ সম্পূৰ্ণ অধিকাৰ দিব লাগিব, তথাপি যদি তেওঁলোকে সম্পূৰ্ণভাৱে সম্পৰ্ক ছেদ কৰে, স্বাধীন হৈ যায়, তাতো আপত্তি নাই। এইটো আছিল বলচেভিক সকলৰ পুৰণি কৰ্মসূচীৰ এটা অংশ। বিপ্লৱৰ পিছতে বলচেভিকসকলে তেতিয়া তেওঁলোকেই দেশৰ শাসনকৰ্তা, ঘোষণা কৰিলে যে আত্ম-নিয়ন্ত্ৰণৰ এই নীতিত তেওঁলোক আগৰদৰেই বিশ্বাসী হৈ আছে।

গৃহ-যুদ্ধৰ সময়ত জাৰৰ সাম্ৰাজ্য ভাঙি টুকুৰাটুকুৰ হৈ গ'ল, কিছুদিন ধৰি চোভিয়েট প্ৰজাতন্ত্ৰৰ অধীনত থাকিল কেৱল মস্কো আৰু লেনিনগ্ৰেডৰ আশে পাশে অলপ ঠাই। পশ্চিম য়ুৰোপৰ দেশবোৰৰ সাহায্য প্ৰায় বাল্টিক সাগৰৰ পাৰত থকা কেইখনমান দেশ ফিনলেণ্ড, এষ্টোনীয়া, লাটভিয়া, লিথুনিয়া, স্বাধীন ৰাষ্ট্ৰ হৈ গ'ল। পোলেণ্ডতো হলেই। তাৰ পিছত গৃহযুদ্ধত ৰুচ চোভিয়েটৰ জয় হ'ব ধৰিলে, বিদেশী বাহিনীবোৰ দেশ এৰি গুচি যাবলগীয়া হ'ল, তাৰ লগে লগে চাইবেৰিয়া আৰু মধ্যএচিয়াৰ কিছুমান বেলেগ আৰু স্বাধীন চোভিয়েট চৰকাৰ গঢ়ি উঠিল। এই চৰকাৰবোৰৰ সকলোৰে উদ্দেশ্য একে—এতেকে স্বভাৱতে এওঁলোকে পৰস্পৰৰ লগত ঘনিষ্ঠ মিত্ৰতা সূত্ৰত বদ্ধ আছিল। ১৯২৩ চনত এওঁলোক এক হৈ 'চোভিয়েট ইউনিয়ন' গঠন কৰে। ইয়াৰ আচল চৰকাৰী নামটো হৈছে—'দি ইউনিয়ন অৱ চছিয়েলিষ্ট চোভিয়েট ৰিপাব্লিক।' সাধা-

ৰণতে ইয়াক উল্লেখ কৰা হয় শব্দ কেইটাৰ প্ৰথম আখৰকেইটাৰে—'ইউ, এছ্, এছ্, আৰ' বুলি।

১৯২৩ চনৰ পিছত এতিয়ালৈকে ইউনিয়নৰ অন্তৰ্ভুক্ত প্ৰজাতন্ত্ৰবোৰৰ সংখ্যাৰ অলপ পৰিবৰ্ত্তন হৈছে, কাৰণ দুই এঠাইত এখন প্ৰজাতন্ত্ৰ ভাঙি একাধিক কৰা হৈছে। বৰ্ত্তমান ইউনিয়নৰ ভিতৰত প্ৰজাতন্ত্ৰ আছে এই সাতখন—

(১) ৰুচিয়ান চছিয়েলিষ্ট ফেডাৰেটিভ চোভিয়েট ৰিপাব্লিক, বা এছ্, এফ্, এছ্, আৰ।

(২) হোৱাইট ৰুচিয়া এছ্, এছ্, আৰ।

(৩) ইউক্ৰেণ এছ্, এছ্, আৰ।

(৪) ট্ৰান্স ককেচিয়ান চছিয়েলিষ্ট ফেডাৰেটিভ এছ্, আৰ।

(৫) তুৰ্কমেনিস্তান বা তুৰ্কমেন এছ্, এছ্, আৰ।

(৬) উজবেক এছ্, এছ্, আৰ।

(৭) তাজিকিস্তান বা তাজিক এছ্, এছ্, আৰ।

মঙ্গোলিয়াও চোভিয়েট ইউনিয়নৰ লগত কিবা এটা মিত্ৰতা সূত্ৰৰে আৱদ্ধ আছে।

এতেকে দেখিছা, চোভিয়েট ইউনিয়ন হৈছে কেইখনমান প্ৰজাতন্ত্ৰ লৈ গঢ়া এখন যুক্তৰাষ্ট্ৰ। যুক্তৰাষ্ট্ৰৰ অন্তৰ্গত এই প্ৰজাতন্ত্ৰৰ মাজত কেইখনমান আকৌ নিজেই যুক্তৰাষ্ট্ৰ। যেনে ৰুচ, এছ্, এফ, আৰ হৈছে—দুখন স্বাধীন প্ৰজাতন্ত্ৰৰ যুক্তৰাষ্ট্ৰ। ট্ৰান্স ককেচিয়ান এছ্, এফ, কছ্, আৰ্'ৰ ভিতৰত তিনিখন প্ৰজাতন্ত্ৰ আছে—আজাৰবাইজান এছ্, এছ্, আৰ; জৰ্জিয়া এছ্, এছ্, আৰ, আৰু আৰ্মে-নীয়া এছ্, এছ্, আৰ। এই ইমানবোৰ পৰস্পৰ নিৰ্ভৰশীল প্ৰজাতন্ত্ৰ। ইয়াৰ উপৰিও সেই প্ৰজাতন্ত্ৰৰ মাজত আকৌ বহুত 'জাতিগত' আৰু 'স্বতন্ত্ৰ' অঞ্চল আছে। সকলোতে ইমান বেছিকৈ স্বায়ত্ত-শাসন প্ৰতিষ্ঠিত কৰা হৈছে যে এটি উদ্দেশ্য লৈ প্ৰত্যেকটো জাতিয়ে যেন তাৰ নিজৰ সংস্কৃতি আৰু ভাষাক অক্ষুণ্ন ৰাখিব পাৰে, যেন যিমান সম্ভৱ স্বাধীনতা ভোগ কৰিব পাৰে। এটা জাতি বা গোষ্ঠীয়ে আন এটিৰ ওপৰত যাতে প্ৰভুত্ব কৰিব নোৱাৰে সেই বিষয়ে যথা সম্ভৱ ব্যৱস্থা কৰা হৈছে। সংখ্যালঘু সম্প্ৰদায়ৰ এই যে মীমাংসাৰ ব্যৱস্থা চোভিয়েট চৰ-কাৰে কৰিছে, এইটো আমাৰ পক্ষে মনকৰিবলগীয়া বিষয়। কাৰণ আমাৰো সংখ্যালঘু সমস্যা এটি কঠিন সমস্যা সমাধান কৰিবলগীয়া আছে। বিশেষকৈ আমাৰ যি সমস্যা তাৰ তুলনাত চোভিয়েট চৰকাৰৰ সমস্যা আছিল আৰু বহুত বেছি জটিল, কাৰণ তেওঁলোকে ১৮২টা বিভিন্ন জাতিক লৈ চলিবলগীয়া হৈছিল। সেই সমস্যাৰ যি সমাধান তেওঁলোকে কৰিছে সেইটোতে বৰ সাফল্য আৰ্জ্জন কৰিছে। প্ৰত্যেকটো জাতিৰ স্বতন্ত্ৰ অস্তিত্ব স্বীকাৰ কৰি লৈছে, প্ৰত্যেককে তাৰ নিজৰ কাজকৰ্ম, নিজৰ শিক্ষা, তেওঁলোকৰ নিজৰ ভাষাত চলাবলৈ উৎসাহ দিছে। এইটো তেওঁলোকে কৰিছিল কেৱল এই সংখ্যালঘু জাতিবোৰৰ মাজত যি বেলেগে থকাৰ ইচ্ছাক তাক বাহাল ৰখাৰ কাৰণে নহয়—তেওঁলোকে বুজিছিল এইবোৰ কথাত

নিজৰ দেশীয় ভাষা ব্যৱহাৰ কৰিলে তেতিয়াহে জনসাধাৰণৰ প্ৰকৃত শিক্ষা আৰু সংস্কৃতিয়ে প্ৰভাৱ লাভ কৰিব। এইদৰে চলি ইতিমধ্যে যি ফল তেওঁলোকে পাইছে সি অপূৰ্ব।

যুক্তৰাষ্ট্ৰৰ ভিতৰত তেওঁলোকে সকলোকে একে ঠাচত গঢ়িবলৈ বিচৰা নাছিল। বৰং সেই ঐক্যৰপৰা সকলোকে অব্যাহতি দিয়াৰেই আয়োজন কৰিছিল। তথাপি ইয়াৰ বিভিন্ন অংশ ক্ৰমে পৰস্পৰৰ ওচৰ চাপি আহিছে। ইমানখিনি ঐক্য আৰু কেন্দ্ৰীভূত শাসনৰ যুগতো তেওঁলোকৰ ভিতৰত কোনো দিনেই দেখা যোৱা নাছিল। ইয়াৰ কাৰণ হৈছে তেওঁলোক সকলোৱেই বিশেষ কিছুমান আদৰ্শত বিশ্বাসী। একে উদ্দেশ্য সিদ্ধিৰ কাৰণে তেওঁলোক সকলোৱে এক হৈ কাম কৰিছে। ইউনিয়নৰ অন্তৰ্ভুক্ত প্ৰত্যেক প্ৰজাতন্ত্ৰৰেই ইচ্ছা মাত্ৰকে সেই ইউনিয়নৰ পৰা বেলেগ হৈ যোৱাৰ অধিকাৰ আছে তথাপি কোনোৱে সেইভাৱে বেলেগ হৈ যোৱাৰ সম্ভাৱনা দেখা নগৈছিল। তাৰ কাৰণ চাৰিওফালে পুঁজিবাদী জগতৰ শত্ৰুতা, ইয়াৰ মাজতে যি সমাজতন্ত্ৰী প্ৰজাতন্ত্ৰবোৰ থিয় হৈ আছে তেওঁলোকৰ পক্ষে এক হৈ যুক্তৰাষ্ট্ৰৰ মাজত থকাৰ সুবিধা বহুত।

ইউনিয়নৰ মাজত যিকেইখন প্ৰজাতন্ত্ৰ আছে, তাৰ প্ৰধান হৈছে কচ প্ৰজাতন্ত্ৰখন—আৰ, এচ্, এফ, এচ্, আৰ। ইয়াৰ এলেকা লেনিনগ্ৰেডৰপৰা একেবাৰে চাইবেৰিয়ালৈকে বিয়পা হোৱাইট ৰুচিয়া এচ্, এচ্, আৰ অৱস্থিত হৈছে পোলেণ্ডৰ ঠিক গাতে লগা ঠাইত। ইউক্ৰেন হৈছে দক্ষিণত, কৃষ্ণ সাগৰ তাৰ ভৰিত ধৰি এইটোৱেই হৈছে ৰুচিয়াৰ শস্য ভাণ্ডাৰ। ট্ৰান্স ককেচিয়াৰ নাম শুনিয়েই বুজা যায় যে সেইখন ককেচাচ পৰ্বতৰপৰা কাস্পিয়ান সাগৰ আৰু কৃষ্ণ সাগৰৰ মাজত অৱস্থিত। ট্ৰান্স ককেচিয়ান প্ৰজাতন্ত্ৰৰ ভিতৰত এখন হৈছে আৰ্মেনিয়া, য'ত বহুকাল ধৰি তুৰ্কীসকলে আৰু আৰ্মেনিয়াসকলে ভয়াবহ হত্যাকাণ্ড চলাই আছিল। এতিয়া সেই প্ৰজাতন্ত্ৰ দেখি ভাব হয় এওঁলোক এতিয়া শান্তিপূৰ্ণ কাৰ্যক্ৰম লৈয়েই ব্যস্ত হৈ আছে। কাস্পিয়ান সাগৰৰ সিপাৰে আছে মধ্য এচিয়াৰ প্ৰজাতন্ত্ৰ তিনিখন তুৰ্কমেনিস্তান, উজবেকিস্তান, বোখৰা আৰু চমৰকণ্ড। এই দুখন প্ৰসিদ্ধ নগৰ তাৰ অন্তৰ্গত আৰু তাজিকিস্তান। ই হৈছে—আফগানিস্তানৰ ঠিক ওচৰত। এইটোৱেই ভাৰতবৰ্ষৰ সকলোতকৈ ওচৰৰ চোভিয়েট এলেকা।

মধ্য এচিয়াৰ এই প্ৰজাতন্ত্ৰ কেইখন আমাৰ বিশেষ কৰি চিনি থকাৰ বিষয়। কাৰণ বহু যুগ ধৰি মধ্য এচিয়াৰ লগত আমাৰ সংস্ৰৱ আছে। যোৱা কেইবছৰমানৰ ভিতৰত যি অদ্ভুত উন্নতি দেখিছেঁ। তাৰ কাৰণে এইবোৰে মন বেছি আকৰ্ষণ কৰে। জাৰসকলৰ আমোলত এইবোৰ আছিল অতি অনুন্নত ঠাই, কুসংস্কাৰেৰে ভৰা, শিক্ষা বুলিবলৈ একোৱেই নাছিল, ছোৱালীবোৰ প্ৰায় পৰ্দাৰ আঁৰত লুকাই থাকে। এতিয়া তেওঁলোকে বহু কথাত ভাৰতবৰ্ষকো পিছ পেলাই আগুৱাই গৈছে।

১৮০

পিয়াটিলেট্কা বা ৰুচিয়াৰ পঞ্চবার্ষিকী পৰিকল্পনা

৯ জুলাই, ১৯৩৩

লেনিন যিমান দিন জীয়াই আছিল সিমান দিন তেওঁ আছিল চোভিয়েট ৰুচিয়াৰ একচছত্ৰী নেতা। তেওঁৰ সিদ্ধান্তকেই সকলোৱে চৰম সিদ্ধান্ত বুলি মানি লৈছিল। ক'ৰবাত বিবাদ আদি হলে তেওঁৰ কথাই হৈছিল আইন, সেই নির্দেশ মূৰত তুলি লৈ কমিউনিষ্ট দলৰ বিৰোধী ভাগবোৰ আকৌ একেলগ হৈ গৈছিল। তেওঁৰ মৃত্যুৰ পিছত স্বভাৱতে গোলমালৰ সৃষ্টি হ'ল, প্রতিদ্বন্দী দলবোৰে, প্রতিদ্বন্দী শক্তিবোৰৰ কর্তৃত্ব হাত কৰিবলৈ মৰামৰি আৰম্ভ কৰি দিলে। বাহিৰৰ জগতৰ চকুত আৰু তাতকৈ অলপ কম পৰিমাণে ৰুচিয়াৰ ভিতৰতো লেনিনৰ পিছত বলচেভিকসকলৰ মাজত ট্রট্স্কি আছিল সর্বপ্রধান লোক। ট্রট্স্কি আছিল অক্টোবৰ বিপ্লবৰ অন্যতম নেতা। গৃহযুদ্ধ আৰু বিদেশীসকলৰ হস্তক্ষেপক থেলি থৈ বি লালফৌজ জয়ী হ'ল, বৰ বিপদবিঘিনিৰ মাজত থিয় হৈ তাক সহজসাধ্য কৰি তুলিছিল ট্রট্স্কিয়েই। অথচ ট্রট্স্কি বলচেভিক দললৈ অহাৰ বেছি দিন হোৱা নাই, লেনিনৰ বাহিৰে আন আন পুৰণি বলচেভিকসকলে তেওঁক বৰ পছন্দও নকৰিছিল। এই পুৰণি বলচেভিকসকলৰ ভিতৰত এজন হৈছে ষ্টেলিন। কমিউনিষ্ট দলৰ তেওঁ তেতিয়া সাধাৰণ সম্পাদক, এতেকে ৰুচিয়াৰ ভিতৰত সকলোতকৈ প্রতিপত্তিশালী আৰু শক্তিশালী সংগঠনটো তেওঁৰ নির্দেশমতে চলিছিল। ট্রট্স্কি আৰু ষ্টেলিনৰ মাজত মুঠেই সদ্ভাব নাছিল। দুয়ো দুয়োকো ঘৃণা কৰিছিল, মানুহ হিচাবেও দুয়োজন আছিল বেলেগ প্রকৃতিৰ; ট্রট্স্কি আছিল এজন সুন্দৰ লেখক আৰু বক্তা, সংগঠনকর্তা আৰু কামৰ মানুহ হিচাবেও তেওঁৰ নিজৰ শ্রেষ্ঠত্ব প্রমাণ কৰিছিল আৰু বিৰোধী পক্ষক এনে ভাষাত আক্রমণ কৰিছিল যে সেই কথা চৰতাৰ কোবৰ দৰে। বিছাই ডকাৰ দৰে পি বিজবিজাইছিলগৈ, তেজত পোৰণি ধৰাই দিছিল। তেওঁৰ কাষত ষ্টেলিনক দেখি ভাব হয় অতি সাধাৰণ মানুহ, তেওঁৰ কোনো আড়ম্বৰ নাছিল, প্রখৰতা নাছিলেই। অথচ তেৱেঁা আছিল বৰ সংগঠনত পকা, মহাবীৰ যোদ্ধা, লোহাৰ দৰে কঠিন তেওঁৰ সঙ্কল্প, প্রকৃততে নামেই হৈছিল 'লোহাৰ মানুহ'। ইমান ভাঙৰ দুজন লোকক একেলগে সাঙুৰিব পৰাৰ জোখাৰে ঠাই কমিউনিষ্ট দলৰ ভিতৰত নাছিল।

ষ্টেলিন আৰু ট্রট্স্কিৰ বিৰোধ ব্যক্তিগত কিন্তু আৰু বিশেষ কথাও তাৰ মাজত

আছিল। এওঁলোক দুয়ো দুটা বিভিন্ন নীতিত বিশ্বাস কৰিছিল, বিপ্লৱক দুটা বিভিন্ন পথেৰে সম্পূৰ্ণ কৰাৰ সপোন দেখিছিল। বিপ্লৱৰ বহুদিন আগতে ট্ৰটস্কিয়ে 'চিৰস্থায়ী বিপ্লৱ'ৰ এটি মতবাদ ৰচনা কৰিছিল, তেওঁৰ মত আছিল, এখন মাত্ৰ দেশে অকলে চেষ্টা কৰি পূৰ্ণ সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিব কেতিয়াও নোৱাৰে— ইফালে ইয়াৰ সুযোগ সুবিধা বিনালেই থাকক। আগতে এটা পৃথিৱী ব্যাপী বিপ্লৱ হলেহে প্ৰকৃত সমাজতন্ত্ৰবাদৰ যুগ আহিব, কাৰণ তেতিয়াহে কেৱল কৃষক-সকলক প্ৰকৃত সমাজপন্থী কৰি তুলিব পৰা হ'ব। অৰ্থনৈতিক বিৱৰ্তনৰ পথত ধনতন্ত্ৰৰ ঠিক পিছৰ উচ্চতাৰ ব্যৱস্থা হৈছে সমাজতন্ত্ৰ; ই দেশৰ মাজৰপৰা আন্ত-ৰ্জাতিক ৰূপ ধাৰণ কৰাৰ লগে লগে পুঁজিবাদী নিজেই ভাঙি পৰে; পৃথিৱীৰ বেছি ভাগ ঠাইতে আজি আমি তাৰেই সূচনা দেখিবলৈ পাইছোঁ। একমাত্ৰ সমাজতন্ত্ৰইহে এই আন্তৰ্জাতিক গাঠনিক ঠিকমতে কামত লগাব পাৰে, সেয়ে সমাজতন্ত্ৰবাদৰ সমাজত অপৰিহাৰ্য। এয়ে আছিল মাৰ্ক্সৰ মতবাদ। কিন্তু এখন মাত্ৰ দেশ অৰ্থাৎ আন্তৰ্জাতিক নহৈ জাতিগত ভিত্তিত যদি সেই সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ চেষ্টা কৰা হয় তেন্তে মনত হ'ব অৰ্থনৈতিক বিৱৰ্তনৰ এটি তলখাপলৈ নামি যোৱাটো। সকলো প্ৰগতিৰে, সামাজিক প্ৰগতিৰো, প্ৰতিষ্ঠা অৱশ্যে কৰিব লাগিব, আন্তৰ্জাতিক ভিত্তিৰ ওপৰত তাৰপৰা পিছুৱাই যোৱাটো সম্ভৱপৰ নহয় বাঞ্ছনীয়ও নহয়। এতেকে ট্ৰটস্কিৰ মত আছিল, এখন মাথোন সুকীয়া দেশৰ সমাজতন্ত্ৰ গঢ়ি তোলা অৰ্থনীতিৰ কালৰ পৰাইও সম্ভৱ নহয়, চোভিয়েট ইউনিয়ন বৰ ডাঙৰ দেশ তথাপি তাতো নহয়। চোভিয়েট অকলতো বহুতো বস্তুৰ কাৰণে পশ্চিম য়ুৰোপৰ শিল্পীতন্ত্ৰী দেশসমূহৰ ওপৰত নিৰ্ভৰ কৰি থাকিবলগীয়া হয়, এইটো যেন চহৰ আৰু গাওঁ বা গাওঁ অঞ্চলৰ মাজত যি সহযোগিতা সচৰাচৰ দেখা ঠিক তাৰ দৰেই। শিল্পতন্ত্ৰী পশ্চিম য়ুৰোপ হৈছে চহৰ আৰু ৰুচিয়াতো প্ৰধানকৈ গাওঁ প্ৰধান দেশ। ট্ৰটস্কিয়ে কয় ৰাজনীতিৰ কালৰপৰাও যদি কোৱা হয় চাৰিওফালে বহুতো পুঁজিবাদী দেশৰ মাজে আগুৰি থকা এখন মাত্ৰ সুকীয়া সমাজতন্ত্ৰী দেশৰ পক্ষে বেছিদিন জীয়াই থকা সম্ভৱ নহয়। এই দুটাৰ মাজত মিল কোনো ৰকমে সম্ভৱ হ'ব নোৱাৰে। এই কথা কিমান সত্য তাৰ প্ৰমাণ আমি যথেষ্ট পাইছোঁ। তেতিয়া হয়তো পুঁজিবাদী দেশসমূহে সমাজতন্ত্ৰী দেশক ধ্বংস কৰি দিব আৰু নহলে পুঁজিবাদী দেশসমূহত সমাজ বিপ্লৱ ঘটিব, সকলোতে সমাজতন্ত্ৰৰ প্ৰতিষ্ঠা হ'ব। কিছুকাল, হয়তো কেইবছৰমান, এই দুয়োপক্ষৰ ওচৰা-উচৰিকৈ তিষ্ঠি থাকিব পাৰে, এটি অনিশ্চিত ভাৰসাম্যৰ মাজত।

বিপ্লৱৰ আগতে আৰু পিছত গোটেই বলচেভিক নেতাসকলোৰেই, মত এনে ধৰণৰ আছিল যেন লাগে। এওঁলোকে অতি আগ্ৰহেৰে প্ৰতীক্ষা কৰিছিল, কেতিয়া জগত জুৰি বিপ্লৱ অন্ততঃ য়ুৰোপৰ কিছুমান দেশত বিপ্লৱ ঘটিব পাৰে তাৰে আশাত। বহুমাহ ধৰি য়ুৰোপৰ আকাশ ঘনঘোৰ মেঘে আবৰি থাকিল; কিন্তু অৱশেষত এই মেঘ উৰি গ'ল—বৰষুণ নহল। ৰুচিয়াই তেতিয়া 'নেপ' লৈ কাম আৰম্ভ কৰিলে, আৰু কম বেছি পৰিমাণে এটি গতানুগতিক জীৱন যাত্ৰাক আশ্ৰয় কৰি বহিল। তাকে দেখি ট্ৰটস্কিয়ে চকাৰি উঠিল—সাৱধান হোৱা, জগত

জুৰি বিপ্লৱ ঘটোৱাৰ উদ্দেশ্য লৈ ইয়াতকৈও উগ্ৰ এটি কৰ্মপন্থা অৱলম্বন কৰিব লাগিব, নহলে আমাৰ এই বিপ্লৱেই ব্যৰ্থ হৈ যাব নিশ্চিনু হৈ যাব। তেওঁৰ এই নিৰ্দেশৰ ফলত ট্ৰটস্কি আৰু ষ্টেলিনৰ মাজত ডাঙৰ এখন যুদ্ধৰ সূচনা হয়; কেইবছৰমানলৈ সেই যুদ্ধৰ হেঁচাত কমিনিষ্ট দলৰ ভেঁটি থৰক-বৰক হৈ কঁপিবলৈ ধৰিলে। এই যুদ্ধৰ শেষ হ'ল—ষ্টেলিনৰ সম্পূৰ্ণ জয়লাভেৰে- তেওঁৰ জয়ৰ প্ৰধান কাৰণ আছিল দলৰ যন্ত্ৰটি তেওঁৰ ইঙ্গিততে চলিছিল। ট্ৰটস্কি আৰু তেওঁৰ সহ-যোগীসকলক বিপ্লৱৰ শত্ৰু বুলি গণ্য কৰা হ'ল; দলৰপৰা বাহিৰ কৰি দিয়া হ'ল। ট্ৰটস্কিক প্ৰথমে চাইবেৰিয়ালৈ পঠোৱা হ'ল তাৰপিছত ইউনিয়নৰ এলেকাৰপৰাই বাহিৰলৈ নিৰ্বাসিত কৰা হ'ল।

ষ্টেলিন আৰু ট্ৰটস্কিৰ মাজত বিৰোধ আৰম্ভ হোৱাৰ আচল কাৰণ হ'ল ষ্টেলিনৰ প্ৰস্তাৱ। তেওঁ প্ৰস্তাৱ কৰিছিল কৃষকসকলক সমাজতন্ত্ৰবাদত বিশ্বাসী কৰি তুলিব লাগিব; সেইকাৰণে তেওঁলোকৰ বিষয়ে এটি কামত উৎসাহ জন্মোৱা নীতিৰ প্ৰৱৰ্তন কৰা হওক। ইয়াৰে আন আন দেশত কি ঘটিল বা কি নঘটিল তাৰ কথা নাভাবি ৰুচিয়াত সমাজতন্ত্ৰবাদ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। ট্ৰট-স্কিয়ে এই প্ৰস্তাৱ বাতিল কৰিলে, তেওঁৰ 'চিৰস্থায়ী বিপ্লৱ'ৰ কথাটোকে আকৌ ৰি-গোজালি মাৰি ধৰি থাকিল; কলে সেইটো নহলে কৃষকসকলক সম্পূৰ্ণভাৱে ৰাষ্ট্ৰৰ আয়ত্ত লৈ অনা সম্ভৱ নহব। কাৰ্যত অৱশ্যে ট্ৰটস্কিৰ বহুতো নিৰ্দেশ ষ্টেলিনে মানি ললে, কিন্তু ললে তেওঁৰ নিজৰ স্বকীয়া নীতিৰে, ট্ৰটস্কিৰ নিৰ্দ্ধাৰিত নীতিৰে নহয়। এই সম্বন্ধে ট্ৰটস্কিয়ে তেওঁৰ আত্মজীৱনীত লৈখিছে— 'ৰাজনীতিৰ ক্ষেত্ৰত কি কৰা হ'ল অকল সেইটোৱেই কথা নহয়—কোন পন্থাৰে সেইটো কৰা হ'ল 'কাৰ' সিদ্ধান্ত অনুসৰি কৰা হ'ল এই কথাবোৰৰো গুৰুত্ব কম নহয়।'

দুজন মহাবীৰৰ ভয়াময়া ৰণৰ এনেদৰে পৰিণাম ঘটিল। যি ৰঙ্গমঞ্চত ট্ৰট-স্কিয়ে ইমান দিনে এনে বীৰোচিত এনে উজ্জ্বল ভূমিকা গ্ৰহণ কৰি আহিছিল তাৰপৰা তেওঁ মাৰ খাই বিদায় লবলগীয়া হ'ল। চোভিয়েট ইউনিয়নো তেওঁ এৰি যাবলগীয়া হ'ল। সেই ইউনিয়ন গঢ়ি তোলাত প্ৰধান উদ্যোক্তা যি কেইজন আছিল তেওঁ সেইসকলেৰে অন্যতম। তেওঁৰ ব্যক্তিত্বক প্ৰায় সকলো পুঁজিবাদী দেশেই ভয় কৰিছিল, কোনেও তেওঁক স্থান দিবলৈ ৰাজী নহল। ইংলেণ্ডত তেওঁ সোমাবলৈ অনুমতি নাপালে; য়ুৰোপৰ আন আন দেশৰ প্ৰায় সকলোৱেই আপত্তি জনালে। অৱশেষত তেওঁ অস্থায়ীভাৱে আশ্ৰয় পালে তুৰস্কত। তেওঁ বসতি কৰিলেগৈ প্ৰিনকিপোত—এইটো হৈছে ইস্তানবুলৰ কাষৰে এটা দ্বীপ। এতিয়া তেওঁ সম্পূৰ্ণভাৱে লেখা কামত ব্ৰতী হল আৰু এখন অতি সুন্দৰ পুথি লেখিলে। সেইখন হৈছে 'ৰুচ বিপ্লৱৰ বুৰঞ্জী'। তেতিয়া তেওঁৰ অন্তৰ ষ্টেলিনৰ প্ৰতি বিদ্বেষৰে পৰিপূৰ্ণ আছিল; তেওঁ ষ্টেলিনক আৰু তেওঁৰ সহকৰ্মীসকলকে কঠোৰ ভাষাৰে সমালোচনা কৰিবলৈ ধৰিলে। পৃথিৱীৰ বহু ঠাইত এটি ট্ৰটস্কি পন্থী দল গঢ়ি উঠিল। এই দলটো চৰকাৰী কমিউনিষ্ট দলৰ আৰু কমিণ্টাৰ্ণৰ বিৰুদ্ধে থিয় হ'ল।

ষ্টেলিনে এইবাৰ ট্ৰটস্কিক আঁতৰাই লৈ তেওঁৰ কৃষি বিষয়ক নতুন পৰিকল্পনা

কাৰ্যত পৰিণত কৰিবলৈ লাগি গ'ল। এই কামত বৰ সাহসিকতাৰ তেওঁ পৰিচয় দিলে। বুদ্ধিজীৱীসকল দুৰ্দশা আৰু নিৰন্নতা সমস্যাত কাতৰ, শ্ৰমিকসকলৰ মাজত ধৰ্মঘট। ধনী কৃষক সকলৰ ওপৰত তেওঁ বৰ বেছি খৰ কুঠাৰে তাৰ পিছত সেই টকাৰে গাওঁ অঞ্চলত বহুতো সমবায় কৃষিকাৰ্য গঢ়ি তুলিলে। ইয়াত বহুতো কৃষকে একেলগে কাম কৰি আয়বিলি নিজৰ ভিতৰত ভগাই লয়। ধনী কৃষকসকল এই নীতিত অতি ক্ষুব্ধ হৈ উঠিল। চোভিয়েট চৰকাৰৰ ওপৰতেই তেওঁলোকৰ মাত্ৰা চৰিল। তেওঁলোকৰ ভয় হ'ল যে তেওঁলোকৰ সকলো গৰু-গাই আৰু খেতিৰ সাজ-সৰঞ্জাম আদি হয়তো তেওঁলোকৰ দুখন ওচৰ-চুবুৰীয়া লোকসকলৰ খণ্ডৰ ভিতৰত ভগাই দিয়া হ'ব। এই ভয়তে তেওঁলোকে নিজৰ সকলো জন্তুকে মাৰি পেলালে। এওঁলোকে এনেদৰে ইমান জন্তু বধ কৰিলে যে পিছৰ বছৰ দেশত খাবলৈ মাংস, গাখীৰ আৰু গাখীৰৰপৰা উৎপন্ন হোৱা বস্তুৰ বৰ অভাৱ হ'ল।

এনে এটি কথা লৈলিনে আশা কৰা নাছিল। তথাপি তেওঁ দৃঢ়তাৰে তেওঁৰ কাৰ্যসূচী চলাই যাব ধৰিলে। তেওঁ এই কাৰ্যসূচীক আৰু বহুতো বঢ়াই একো একোটা বিৰাট পৰিকল্পনাত পৰিণত কৰিলে। কৃষি আৰু শিল্প এই দুয়ো বিষয়তেই গোটেই ইউনিয়নেই এই পৰিকল্পনাৰ অন্তৰ্ভুক্ত আছিল। "ডাঙৰ ডাঙৰ ৰাষ্ট্ৰৰ দ্বাৰা পৰিচালিত কৃষিপাম, আৰু গঠন কৰি কৃষকক যন্ত্ৰ শিল্পৰ লগত পৰিণত কৰি তোলা হব, ডাঙৰ ডাঙৰ কাৰখানা, পানীৰে চলোৱা বিদ্যুৎশক্তি উৎপাদনযন্ত্ৰখনি। আদি তৈয়াৰ কৰি গোটেই দেশখনকে শিল্প প্ৰচেষ্টাত দীক্ষিত কৰি তুলিব লাগিব, ইয়াৰ লগে লগে আৰু আৰু অসংখ্য কাম কৰি দিয়া হব, যেনে শিক্ষাৰ প্ৰচাৰ, বিজ্ঞান-চৰ্চা সমবায় পদ্ধতিৰে বেচা-কিনাৰ নীতিৰ প্ৰবৰ্তন লাখ লাখ শ্ৰমিকৰ কাৰণে ঘৰ-দুৱাৰ সাজি দিয়া আৰু সকলো কালেদিয়েই তেওঁ-লোকৰ জীৱন যাত্ৰাৰ মান উন্নত কৰি তোলা ইত্যাদি। এয়ে হৈছে ৰুচিয়াৰ বিখ্যাত পঞ্চবাৰ্ষিকী পৰিকল্পনা, বা ৰুচিয়াৰ নিজৰ ভাষাত 'পিয়াটিলেটকা।' অতি বিৰাট পৰিকল্পনা সম্পূৰ্ণ আকাশস্পৰ্শী ইয়াৰ আকাঙ্ক্ষা। ধনী আৰু উন্নত দেশৰ পক্ষেও সম্পূৰ্ণ একপুৰুষ কালৰ ভিতৰত ইয়াক কাৰ্যত পৰিণত কৰা কঠিন কথা। ৰুচিয়া অনুন্নত দেশ, দৰিদ্ৰ দেশ, অথচ ই গৈছে এনে কাৰ্যত হাত দিবলৈ ই যেন এটা দুৰ্ধাৰীৰে পৰিচয়।

কিন্তু এই পঞ্চবাৰ্ষিকী পৰিকল্পনাটি ৰচনা কৰা হৈছিল, বৰ সতৰ্কতাৰে, ভাবি-চিন্তি তত্ত্ব অনুসন্ধান কৰি লৈ ইয়াৰ আগতে বৈজ্ঞানিকসকলে আৰু ইঞ্জিনিয়াৰ-সকলে গোটেই দেশখনক জুখিমাখি বিশ্লেষণ কৰি চাইছিল পৰিকল্পনাৰ এটি অংশৰ আন এটিৰ লগত কিভাবে খাপ খুৱাই লোৱা যায়, অসংখ্য বিশেষজ্ঞ মিলি-জুলি সেই প্ৰশ্নৰ আলোচনা আৰু বিশ্লেষণ কৰি লৈছিল। তাৰ কাৰণ ইয়াক খাপ খুৱাই লোৱাটোৱেই আছিল কঠিন কাম। প্ৰকাণ্ড এটি কাৰখানা গঢ়ি তোলাৰ কোনো কাৰণেই নাথাকে যদি তাক চলাবলৈ কেঁচামাল পোৱাৰ সম্ভাৱনা নেথাকে; তাৰ পিছত কেচামাল যদি থাকেও তাকো আকৌ সেই কাৰখানাটো অনাৰ দিহা হ'ব লাগিব। এতেকে তেতিয়া যান-বাহন সমস্যাৰ সমাধান কৰিবলগীয়া হ'ব;

বেলৰে তৈয়াৰ কৰিবলগীয়া হ'ল। কাৰখানা চলাবৰ কাৰণে শক্তিৰ আৱশ্যক। সেই শক্তি যোগাবলৈ তৈয়াৰ কৰিবলগীয়া হ'ল বিজুলীশক্তিৰ উৎপাদনৰ সেই বিজুলীশক্তি পানীৰপৰা তৈয়াৰ কৰিবৰ কাৰণে ডাঙৰ ডাঙৰ নদীত বান্ধ দিবলগীয়া হ'ল। তাৰ পিছত আকৌ সেই বিদ্যুৎ শক্তিক তাঁৰেৰে কাৰখানা আৰু কৃষিপামবোৰলৈ নৈ যোৱা হল; চহৰে চহৰে গাৱেঁ গাৱেঁ তাৰ যোগেদি চাকি জলোৱা হ'ল। ইয়ানবোৰ কাম চলাবলৈ হলে বহু ইঞ্জিনিয়াৰৰ, মিস্ত্ৰী আৰু দক্ষশ্ৰমিকৰ দৰকাৰ; অলপ দিনৰ ভিতৰতে হাজাৰ হাজাৰ লক্ষ লক্ষ পুৰুষ আৰু মহিলাক এইদৰে শিক্ষিত কৰি তোলা সহজ কথা নহয়। মটৰ ট্ৰেক্টৰ তৈয়াৰ কৰি কৃষিপামবোৰলৈ পঠিয়াইলেই কিন্তু সেই ট্ৰেক্টৰ চলাব কোনে?

এয়া মাথোন দুই চাৰিটা উদাহৰণ দিলো। ইয়াৰপৰাই বুজিব পাৰিবা, পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ ফলত যিবোৰ সমস্যাৰ উদ্ভৱ হৈছিল, তাৰ জটিলতা কিমানখিনি। ইয়াৰ কৰবাত এটিমাত্ৰ নিশকতীয়া অঙ্গ থাকিলে তাৰফলত একে-লগে বহুকামেই পলম হৈ যাব বা বাধা পৰি যাব। কিন্তু এটা বৰ ডাঙৰ সুবিধা ৰুচিয়াৰ আছিল, যিটো পুঁজিবাদী দেশবোৰৰ নাছিল। পুঁজিবাদী দেশত এই বিষয়টো সম্পূৰ্ণ এৰি দিয়া হয় ব্যক্তি বিশেষৰ আগ্ৰহ বা ভাগ্যৰ ওপৰত থিয়াই, বিভিন্ন ব্যক্তিৰ মাজত প্ৰতিযোগিতাৰ ফলত চেষ্টা আৰু শ্ৰমৰ অপব্যয়ো হয় যথেষ্ট। তাত বিভিন্ন উৎপাদক বিভিন্ন শ্ৰমিকসকলৰ মাজত কোনো পৰস্পৰ সংযোগ বা সহযোগিতা নাই, যিখিনি সংযোগ দেখা যায় সিও দৈবক্ৰমেহে ঘটে; বহুতো কিনোতে আৰু বহুতো বিক্ৰী কৰোতে আহি একেখন বজাৰতে লগ হোৱাৰ ফলত। অকলশৰীয়াভাৱে কোনো ব্যৱসায়ী প্ৰতিষ্ঠানে তাৰ ভৱিষ্যত কাৰ্য-প্ৰণালী সম্বন্ধে এটি পৰিকল্পনা থিয় কৰাব পাৰে আৰু কৰেও। কিন্তু সেই গাইগুটীয়া পৰিকল্পনাৰ অধিকাংশৰে অৰ্থ হৈছে আন আন গাইগুটীয়া প্ৰতিষ্ঠানক চেৰাই যোৱা বা প্ৰতিদ্বন্দ্বিতাত তেওঁলোকক হৰুৱাই দিয়া। জাতিৰ ফালৰপৰা ইয়াৰ ফল হয় পৰিকল্পনা কৰি চলাৰ ঠিক বিপৰীত; কাৰণ ইয়াৰ আহি হল দেশত বস্তুৰে উভৈনদী হৈ পৰিব অথচ মানুহৰ অভাৱ নকমিব। চোভিয়েট চৰকাৰৰ সুবিধা আছিল এয়ে গোটেই দেশৰ ভিতৰত যত বিমান বেলেগ ধৰণৰ শিল্প প্ৰতিষ্ঠান আছে, কাজকাম চলিছে, সকলোকেই তেওঁলোকৰ নিজৰ আয়ত্তত ৰাখি চলাব পাৰে। এতেকে একেটি মাত্ৰ সুসংবত পৰিকল্পনাও তেওঁ-লোকে ৰচনা কৰিব পাৰিলে, কামত লগাব পাৰিলে, সেই পৰিকল্পনাৰ মাজত প্ৰত্যেকটি কামেই ঠিক তাৰ যোগ্য ঠাই বিচাৰি পাইছে। ইয়াৰ ভিতৰত অপচয় বা অপব্যয় ঘটোৱাৰ কোনো সম্ভাৱনা নাছিল, অকল হিচাবৰ ভুলৰ বাহিৰে। ইয়াত সকলো বিষয়তে এটি কেন্দ্ৰৰ নিয়ন্ত্ৰণত চলিছে। এতেকে সেই ভুলো বৰ সোনকালে শুধৰাই দিব পৰা হয়—আন ঠাইত সেইটো সম্ভৱ নহয়।

এই পৰিকল্পনাটোৰ উদ্দেশ্যে আছিল চোভিয়েট ইউনিয়নৰ মাজত শিল্প প্ৰচেষ্টাৰ ভেটি টনকিয়াল কৰি গঢ়ি তোলা। কাপোৰ আদি যিবোৰ বস্তু সকলো মানুহৰ দৰকাৰ কেৱল তাক তৈয়াৰ কৰাৰ কিছুমান কাৰখানা থিত কৰাই যিয়া-টোকে এওঁলোকে বিচৰা নাছিল। সেইটো বৰ সহজে কৰিব পৰা গলহেঁতেন—

বিদেশৰপৰা কল-কাৰখানা কিনি আনি বহুৱাই দিলেই হ'লহেঁতেন, ভাৰতবৰ্ষত যিদৰে কৰা হৈছে। নিতৌ ব্যৱহাৰৰ সামগ্ৰী তৈয়াৰ কৰা এই শিল্পক কোৱা হয়— 'ক্ষুদ্ৰশিল্প' এইবোৰ সাধাৰণতে নিৰ্ভৰ কৰিবলগীয়া হয় 'গধুৰ বা ডাঙৰ শিল্পৰ' ওপৰত—যেনে লোহা—লক্কৰ আৰু কল-কাৰখানা তৈয়াৰ কৰা শিল্প, যিবোৰে এই সাধাৰণ শিল্পবোৰৰ কাৰণে কল-কব্জাৰ যোগান ধৰে। চোভিয়েট চৰকাৰে অতকৈয়ো বহুত বেছি দূৰলৈ চকু ৰাখিলে, স্থিৰ কৰিলে পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ দ্বাৰা তেওঁলোকে এই মূল বা গুৰু শিল্পবোৰকে গঢ়ি তুলিব। সেইটো যদি কৰিব পাৰে তেতিয়া শিল্পজাৰ ভেটি দেশত খুব বেছি দৃঢ় কৰি বহুৱা হ'ব, তাৰ পিছত সৰু শিল্পবোৰক সহজতে তৈয়াৰ কৰি লোৱা হ'ব। তাৰ উপৰিও এই গধুৰ শিল্পবোৰ গঢ়ি তোলা হৈ গলে কল-কব্জা বা যুদ্ধৰ আহিলা-পাতিৰ কাৰণেও ৰুচিয়াই আৰু আন দেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া নহ'ব।

দেখাত তেতিয়া এই গুৰুশিল্প প্ৰতিষ্ঠাৰ সঙ্কল্পটোকেই ৰুচিয়াৰ পক্ষে আটাইতকৈ ভাল সিদ্ধান্ত হৈছিল যেন লাগে। কিন্তু ইয়াক কৰিবলৈ যোৱা মানেই আছিল বহুখিনি বেছি উদ্যোগ আয়োজন কৰা, দেশৰ জনসাধাৰণৰ ওপৰত এটা বৰ হেঁচা দিয়া। সৰু শিল্পতকৈ গুৰু শিল্প প্ৰতিষ্ঠাৰ খৰচ বহুত বেছি, দুয়োৰে ভিতৰত তাতকৈ বেছি পাৰ্থক্য হ'ল ক্ষুদ্ৰ শিল্পৰপৰা যি সময়ৰ ভিতৰত লাভ হ'বলৈ ধৰে গুৰু শিল্পৰপৰা তাতকৈ বহুত পলমে লাভ আহে। কাপোৰৰ কলৰ কাম আৰম্ভ হয়—কাপোৰ তৈয়াৰ হোৱাৰ লগে লগে সেই কাপোৰ তেতিয়াই জনসাধাৰণৰ ওচৰত বেচি পেলোৱা হয়। কিন্তু লোহা বা ইস্পাতৰ কাৰখানাত হয়তো তৈয়াৰ হ'ব ইস্পাতৰ ৰেল আৰু ৰেল ইঞ্জিন। ৰেলৰ লাইন যেতিয়ালৈকে তৈয়াৰ নহয় তেতিয়ালৈকে এইবোৰ কামত লগোৱাৰ সুবিধা নহয়। সেই লাইন বহুৱাতে সময় লাগে, তেতিয়ালৈকে এই প্ৰচুৰ পৰিমাণৰ টকা কাৰখানাত আটক হৈ থাকে দেশত সেই টকাৰ অভাৱ হয়।

এতেকে ৰুচিয়াৰ পক্ষে বৰ বেগেৰে এই গুৰু শিল্প প্ৰতিষ্ঠাৰ আয়োজনত আহি পৰিল—এটি বিৰাট কষ্টকৰ কাম। এই সকলোবোৰ কাম গঢ়ি তোলা হৈছে, বিদেশৰপৰা ইমানবোৰ কল-কব্জা কিনি অনা হৈছে, ইয়াৰ দাম দিব লাগিব, নগদ টকা আৰু সোণেৰে দিব লাগিব। কিন্তু দিয়াৰ উপায় কি? চোভিয়েট ইউনিয়নৰ জনসাধাৰণে পেটত কাপোৰ টানকৈ বান্ধি ললে; অনাহাৰে আৰু আধাপেটীকৈ থাকিল; অতি প্ৰয়োজনীয় বস্তুকো ব্যৱহাৰ নকৰাকৈ থাকিল, যাতে এই দিবলগীয়া টকা পৰিশোধ কৰি দিব পাৰে। নিজৰ খোৱা বস্তু তেওঁলোকে বিদেশৰ বজাৰত বেচিবলৈ পঠালে, বেচি যি দাম পালে তাৰে তেওঁলোকে কল-কব্জাৰ দাম পৰিশোধ কৰিলে। বস্তু যি পঠাব পাৰে তাকেই তালৈ পঠিয়ালে। ৰুচিয়াৰ মানুহে খাবলৈ নাপালে—পালেও বৰ কম পৰিমাণেহে পালে—কাৰণ তেওঁলোকৰ সকলো মাল বাহিৰলৈ চালান হৈছে, যিদৰে কল-কব্জাৰ দাম পৰিশোধ কৰা হৈছে। বছৰ বছৰ সদায়েই এনে অৱস্থা।

পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ অন্তৰ্গত এই বিৰাট প্ৰচেষ্টাৰ আৰম্ভ হ'ল ১৯২৯ চনত। আকৌ দেশত বিপ্লৱৰ চেতনা জাগি উঠিল। আদৰ্শৰ আহ্বানত দেশৰ

জনসাধাৰণ চঞ্চল হৈ উঠিল। এই নতুন সংগ্ৰামৰ মাজত তেওঁলোকৰ সকলো উদ্যম সকলো শক্তি হিয়া উবুৰিয়াই ঢালি দিলে। এই সংগ্ৰাম বিদেশী শত্ৰুৰ বিৰুদ্ধে নহয় দেশৰ ভিতৰুৱা শত্ৰুৰ লগতো নহয়। ই হ'ল ৰুচিয়াত যি প্ৰগতিৰ অভাৱ তেতিয়াও তিষ্ঠি আছিল তাৰ বিৰুদ্ধে সংগ্ৰাম, জীৱন যাত্ৰাৰ মান তেতিয়াও যি নিম্নস্তৰত পৰি আছিল তাৰ বিৰুদ্ধে সংগ্ৰাম। অভূতপূৰ্ব উৎসাহেৰে তেওঁলোকে আৰু ডাঙৰ আত্মৎসৰ্গ স্বীকাৰ কৰি ললে—তপস্বীৰ কঠোৰ জীৱন যাপন কৰিব ধৰিলে, মহান ভৱিষ্যতৰ কাৰণে বৰ্তমানক বলি দিলে তেওঁলোকে-সেই ভৱিষ্যতে তেওঁলোকক হাত বাউল দি মাতিব ধৰিছে, সেই ভৱিষ্যতক গঢ়ি তোলাৰ গৌৰৱ আৰু অধিকাৰ তেওঁলোকৰ নিজৰ।

ইয়াৰ আগতেও বহুতো জাতিয়ে বহবাৰ এটি বৃহৎ উদ্দেশ্য সাধনৰ কাৰণে তেওঁলোকৰ সকলোখিনি প্ৰয়াস একগোট কৰি ঢালি দিছে, কিন্তু সেইটো কেৱল যুদ্ধৰ সময়তহে। বিশ্বযুদ্ধৰ সময়ত জাৰ্মাণ, ফ্ৰান্স, প্ৰত্যেকেই এটি মাত্ৰ লক্ষ্য লৈ বাচি আছিল-যুদ্ধত জিকিব লাগিব। এই উদ্দেশ্যৰ ওচৰত আন সকলোকে তেওঁলোকে সৰু বুলি বিবেচনা কৰিছিল। কিন্তু পৃথিৱীৰ ইতিহাসত চোভিয়েট ৰুচিয়াই সৰ্বপ্ৰথমে জাতিৰ সকলোখিনি শক্তি একত্ৰিত কৰি ঢালি দিলে ধ্বংস কৰাৰ কামত নহয়—গঢ়ি তোলাৰ ব্ৰতেৰে। অনুন্নত এখন দেশক তেওঁলোকে শিল্প প্ৰচেষ্টাত আগৰণুৱা কৰি তুলিব, সমাজতন্ত্ৰৰ ঠাঁচত তাক গঢ়ি তুলিব। কিন্তু ইয়াৰ কাৰণে তেওঁলোকে যি আত্মত্যাগ কৰিব লাগিব, বিশেষকৈ উচচ আৰু মধ্যবিত্ত কৃষক শ্ৰেণীয়ে যি কষ্ট স্বীকাৰ কৰিবলগীয়া হ'ল সি অপৰিসীম—বহু সময়ত এনে ধাৰণা হ'ল যেন এওঁলোকৰ এই আকাশস্পৰ্শী উচচ আশা লৈ গঢ়া পৰিকল্পনা এইবাৰ ভাঙি পৰিব হয়তো তাৰ লগতে চোভিয়েট চৰকাৰ ধূলিসাৎ হৈ যাব। এই সংগ্ৰাম আগুৱাই লৈ যাবলৈ যথেষ্ট সাহসৰ আৱশ্যক আছিল। বলচেভিকসকলৰ ভিতৰতো বহুতে ভাবিছিল যে কৃষি সম্বন্ধীয় পৰিকল্পনাৰ ফলত যি হেঁচা আৰু দুৰ্দশা জনসাধাৰণে সহিবলগীয়া হৈছে তাৰ বোজা তেওঁ-লোকে সহ্য কৰিব নোৱাৰিব। এতেকে ইয়াক অলপ কমাই দিয়া দৰকাৰ। কিন্তু ষ্টেলিন তেনে লোক নাছিল। নিঃশব্দে দৃঢ়সঙ্কল্পলৈ তেওঁ কাম চলাই গ'ল। কথা কবলৈ তেওঁ নাজানিছিল, মুকলি সভাত বক্তৃতা তেওঁ সাধাৰণতে নকৰিছিল। স্থিৰ হৈ তেওঁ বাট বুলিব ধৰিলে; যেন তেওঁ লৌহময় প্ৰতিমূৰ্তি—নিয়তিয়ে নিৰ্দিষ্ট কৰি দিয়া লক্ষ্যৰ ফালে তেওঁ ধীৰে আগুৱাই যাব ধৰিলে। তেওঁৰ সেই সাহস, তেওঁৰ সেই সঙ্কল্পৰ বতাহ কমিউনিষ্ট আৰু ৰুচিয়াৰ আন আন কৰ্মীসকলৰ গাতো লাগিল—তেওঁলোককো উদ্দীপ্ত কৰি তুলিলে।

পঞ্চবাৰ্ষিকী পৰিকল্পনাক সমৰ্থন কৰি সকলো সময়তে প্ৰচাৰ কাৰ্য চলোৱা হৈছিল, তাৰ ফলত দেশৰ জনসাধাৰণৰ উৎসাহত প্ৰবল হৈ ৰ'ল, নতুন উদ্যমেৰে কামত লগাৰ প্ৰেৰণা তেওঁলোকে লাভ কৰিলে। ডাঙৰ ডাঙৰ জলবিদ্যুতৰ কাৰখানা তৈয়াৰ কৰা হৈছে, নদীত বান্ধ দিয়া হৈছে, পুল দিয়া হৈছে, কাৰখানা আৰু সমবায় কৃষিপাম তৈয়াৰ কৰা হৈছে—দেশৰ জনসাধাৰণে কিমান মানি- এইবোৰ চাব লাগিছে। জনসাধাৰণৰ সকলোতকৈ ডাঙৰ কামনা আছিল ইঞ্জিনিয়াৰ হোৱা,

স্থাপত্য বিদ্যাৰ ক, ডাঙৰ ডাঙৰ নিৰ্মাণেৰে নগৰ বাজাৰ ৰাজপথ পাত্ত ভৰি আছিল। মৰুভূমি আৰু হেন অঞ্চলত মানুহ বহুৱা হ'ল, প্ৰত্যেকটো ডাঙৰ শিল্পকেন্দ্ৰ কৰি ডাঙৰ ডাঙৰ একোখন চহৰ গঢ়ি উঠিল। দেশজুৰি নতুন নতুন আলিবাট, নতুন নতুন পুখুৰী, নতুন নতুন ৰেলৰে তৈয়াৰ কৰা হ'ল, তাৰ বেছি ভাগেই বিজুলী শক্তিৰ যোগেদি চলা ৰেলগাড়ী। বিমান পথ বহুতো নিৰ্মাণ হল। ৰাসায়নিক বস্তুৰ কাৰখানা, যুঁজৰ সঁজুলি তৈয়াৰ কৰা কাৰখানা, যন্ত্ৰপাতি তৈয়াৰ কৰা কাৰখানা তৈয়াৰ কৰা হ'ল। ট্ৰেক্টৰ, মটৰগাড়ী, ডাঙৰ ডাঙৰ ৰেলৰে ইঞ্জিন; মটৰ ইঞ্জিন, টাৰবাইন, এৰোপ্লেন, সকলো চোভিয়েট ইউনিয়নত তৈয়াৰ হ'ব ধৰিলে। নিবনুৱা সমস্যাৰ লেশ মাত্ৰও দেশত বাকী নাথাকিল। ইমান ধৰণৰ ঘৰবাৰী সজা হৈছে আৰু আন আন কামকাজ চলিছে, দেশৰ য'তে যিমান শ্ৰমিক আছিল সকলোৰেই কোনোবা এটা কামত লাগি গল। বিদেশৰ পৰাও বহুতো সুদক্ষ ইঞ্জিনিয়াৰ ৰুচিয়ালৈ আহিল, ৰুচিয়াই এওঁলোকক সাদৰ অভ্যৰ্থনা জনালে। এই কথা মনত ৰাখিব লাগিব ঠিক সেইসময়তেই গোটেই পশ্চিম য়ুৰোপ আৰু আমেৰিকা জুৰি বাণিজ্য সংকটৰ হেঁচা পৰিছিল, নিবনুৱা সংখ্যা অদ্ভুত ৰকমে বাঢ়ি গৈছিল।

পাঁচ বছৰীয়া পৰিকল্পনাৰ কাম বৰ সহজে নিষ্পন্ন হোৱা নাছিল। বছৰাৰ বহুতো বিষম বিঘিনীয়ে আহি দেখা দিছিল, বিভিন্ন কামৰ ভিতৰত সমন্বয়ৰ অভাৱ ঘটিছিল, বহুতো চেষ্টা ব্যৰ্থ হৈছিল; বহুত অপচয় হৈছিল। তথাপি সকলো বাধাবিঘিনি অতিক্ৰম কৰি কামৰ গতি বেগেৰে চলিব ধৰিলে, ক্ৰমে আৰু বেছি কৰি কামৰ আগিলা আহিব ধৰিলে। তাৰ পিছত জনসাধাৰণে চিঞৰিলে 'পাঁচ বছৰীয়া পৰিকল্পনা চাৰি বছৰতে সম্পূৰ্ণ কৰিব লাগে।' যেন সেই বিৰাট কাৰ্যসূচীক কামত পৰিণত কৰাৰ কাৰণে পাঁচ বছৰ সময় যথেষ্ট কম নাছিল। চৰকাৰীভাৱে এই পৰিকল্পনাৰ শেষ হল ১৯৩২ চনৰ ৩১ ডিচেম্বৰ তাৰিখে, মানে ঠিক চাৰি বছৰৰ পিছত। আকৌ তাৰ ঠিক লগে লগে ১৯৩৩ চনৰ ১লা জানুৱাৰীৰপৰা আকৌ নতুন এটি পাঁচ বছৰীয়া পৰিকল্পনা আৰম্ভ কৰা হ'ল।

পাঁচ বছৰীয়া পৰিকল্পনাৰ কথা লৈ মানুহৰ মাজত বহুত সময়ত মতভেদ হোৱা দেখা যায়, কোনোৱে কয় এইটোৱে বিৰাট সাফল্য লাভ কৰিছে, কোনোৱে কয়—নহয় একেবাৰেই ব্যৰ্থ হৈছে। ক'ত ক'ত ব্যৰ্থ হৈছে সেইটো দেখুৱাই দিয়া বৰ সহজ, কাৰণ বহুতো বিষয়ত ইয়াৰ দ্বাৰা ঠিক আশা কৰাৰ দৰে ফল পোৱা হোৱা নাই। ৰুচিয়াত এতিয়াও বহু কথাত বৰ বিষম অসামঞ্জস্য আছে, সকলোতকৈ ডাঙৰ অভাৱ হৈছে শিক্ষিত আৰু কৰ্মপটু শ্ৰমিকৰ। যিমান কাৰখানা দেশত তৈয়াৰ হৈছে সেইবোৰ চলাবৰ কাৰণে ইমান শিক্ষিতইঞ্জিনিয়াৰদেশত নাই যিমান ৰেষ্টুৰা আৰু ভোজনশালা আছে সিমান নিপুণ ৰান্ধনী নাই। এইবোৰ অসামঞ্জস্য অৱশ্যে অলপ দিনৰ ভিতৰতে দূৰ হৈ যাব, অন্ততঃ কমি আহিব। এটা কথা স্পষ্টভাৱে দেখা গৈছে, এই পাঁচ বছৰীয়া পৰিকল্পনাৰ হেতুত ৰুচিয়াৰ ৰূপটোৱেই এই প্ৰকাৰ বদলি হৈ গৈছে। ৰুচিয়া আছিল সামন্ততন্ত্ৰী দেশ

হঠাৎ ৰাতিটোৰ ভিতৰতে যি এখন আগৰণুৱা শিল্প প্ৰধান দেশলৈ পৰিণত হৈছে। সংস্কৃতিৰ ফালৰপৰাও, আচৰিত উন্নতি ঘটিছে ইয়াৰ, ইয়াৰ সমাজ

কচিয়াতো মানুহৰ অভাৱ আছে, অভিযোগ আছে, কিন্তু নিবনুৱা আৰু অনাহাৰৰ মৃত্যুৰ যি বিষম আতঙ্কই আন আন দেশৰ শ্ৰমিকসকলক আছন্ন কৰি ৰাখিছে, তাৰ ছায়ামণ্ডও এই দেশত নাই। মানুহৰ মনত আৰ্থিক স্বচ্ছলতাৰ এটি নতুন স্পন্দন জাগি উঠিছে।

পাঁচ বছৰীয়া পৰিকল্পনা সফল হৈছে নে বিফল হৈছে তাক লৈ তৰ্ক কৰাটো অবাঞ্ছনীয়। চোভিয়েট ইউনিয়নৰ বৰ্তমান অৱস্থাই তাৰ প্ৰকৃত উত্তৰ। আৰু এটা উত্তৰ হৈছে—এই পৰিকল্পনাই পৃথিৱী জুৰি মানুহক মুগ্ধ কৰি ৰাখিছে। প্ৰত্যেকেই এতিয়া পৰিকল্পনাৰ কথা কৈছে—পাঁচ বছৰ, তিনি বছৰ, দহ বছৰ ব্যাপী পৰিকল্পনাৰ নাম মানুহৰ মুখে মুখে হৈছে। কথাটোৰ মাজত কিবা যাদুৰ প্ৰভাৱ বিস্তাৰ কৰি দিছে—চোভিয়েট ইউনিয়ন চৰকাৰে।

১৮১

চোভিয়েট ইউনিয়নৰ বিপদ-বিঘিনি : সফলতা আৰু বিফলতাৰ কাহিনী

১১ জুলাই, ১৯৩৩

চোভিয়েট ৰুচিয়াৰ পাঁচ বছৰীয়া পৰিকল্পনা এটা ডাঙৰ কথা। এইটো আছিল প্ৰকৃততে বহুতো ডাঙৰ ডাঙৰ বিপ্লৱৰ এটা সমষ্টি—তাৰ ভিতৰত বিশেষ কৰি আছিল কৃষি বিপ্লৱ, পুৰণি উৰলি যোৱা কৃষি পদ্ধতিক উচ্ছেদ কৰি তাৰ ঠাইত ডাঙৰ ডাঙৰ যৌথ আৰু যন্ত্ৰৰ সহায়ত হোৱা কৃষি পদ্ধতিৰ প্ৰতিষ্ঠা ই কৰিলে। কিন্তু এই পৰিকল্পনাৰ ভিতৰত সকলোতকৈ ডাঙৰ চাবলগীয়া কথা আছিল—ইয়াৰ পিছত যি প্ৰায় শক্তিয়ে কাম কৰিছিল সেইটো। ৰাজনীতি আৰু শিল্পৰ ক্ষেত্ৰত ই এক নতুন চেতনাৰ আৰ্বিৰ্ভাৱ। ই হৈছে বিজ্ঞানৰ চেতনা, সমাজক গঢ়ি তোলাৰ কামত সুচিন্তিত এটি বৈজ্ঞানিক প্ৰণালী প্ৰয়োগ কৰাৰ চেষ্টা। ইয়াৰ আগতে আৰু কোনো দেশতে এনে চেষ্টা হোৱা নাই—অতি উন্নত দেশসমূহতো। মানৱ জীৱন আৰু সমাজ জীৱনক প্ৰত্যেক কথাতে এইদৰে বৈজ্ঞানিক প্ৰণালীৰে ব্যৱহাৰ এইটোৱেই হ'ল চোভিয়েট সকলৰ সেই পৰিকল্পনাৰ প্ৰধান বিশেষত্ব। এই কাৰণেই আজি পৃথিৱী জুৰি জনসাধাৰণে পৰিকল্পনাৰ কথা কয়। কিন্তু পুঁজিবাদী ব্যৱস্থাৰ দৰে, য'ত সমাজ ব্যৱস্থা বাহাল আছে, প্ৰতিযোগিতা আৰু ধন-সম্পত্তিৰ ব্যক্তিগত অধিকাৰ বাহাল ৰখাৰ চেষ্টাক ভেটি কৰি অন্ত সঠিক পৰিকল্পনা থিৰ কৰা আৰু চলোৱা টান।

কিন্তু এই পাঁচ বছৰীয়া পৰিকল্পনাৰ ফলত ৰুচিয়াত যথেষ্ট কষ্ট, নানা বিলাই বিপত্তি আৰু বিশৃংখলাবো সৃষ্টি হ'ল, দেশৰ জনসাধাৰণে ইয়াৰ কাৰণে বৰ বেছি মূল্য দিব লগীয়া হ'ল। তেওঁলোকৰ বহুতে সেই মূল্য সাদৰেৰে দিলে, যি ত্যাগ আৰু দুখ ইয়াৰ কাৰণে সহিবলগীয়া হ'ল, তাক ই কিছুদিনৰ কাৰণে সহজেই স্বীকাৰ কৰি ললে, তেওঁলোকে আশা ৰাখিছিল যদি দুই চাৰি বছৰ এই দুখ স্বীকাৰ কৰি লোৱা হয় পিছত ইয়াৰপৰা তেওঁলোকৰ ভাল দিন আহিব। কিন্তু কিছুমানে সেই মূল্য বৰ অনিচ্ছাৰেহে দিলে, কেৱল চোভিয়েট চৰকাৰে সেইটো দিবলৈ বাধ্য কৰিছে বুলি। সকলোতকৈ বেছি কষ্ট কিসকলে সহিবলগীয়া হ'ল তেওঁলোকৰ ভিতৰত আছিল 'কুলক' বা আপেক্ষিকভাৱে ধনী খেতিয়কসকল। তেওঁলোকৰ টকা বেছি, বিশেষ প্ৰভাৱ প্ৰতিপত্তিও তেওঁলোকৰ আছিল, সেয়ে

যি নীতিৰে এই গোটেই বিষয়টো গঢ়ি তোলা হৈছিল, তাৰ লগত তেওঁলোকৰ খাপ নেখাইছিল। এওঁলোক আছিল পুঁজিবাদী, যৌথ কৃষিপামবোৰ সমাজবাদী নীতিত গঢ়ি উঠাৰ পথত। এওঁলোকৰ সেই অস্তিত্ব হ'ল এটি ডাঙৰ বাধা। এই চেষ্টাক তেওঁলোকে বহু সময়ত বাধা দিছিল। বহুত সময়ত আকৌ তেওঁলোকে নিজেই সেই যৌথপামবোৰৰ ভিতৰত সোমাই পৰিছিল—তেওঁলোকৰ উদ্দেশ্য আছিল হয়তো ভিতৰৰপৰা ইয়াৰ শক্তিশালী কৰাব বা সেই প্ৰতিষ্ঠানৰ মাজত থাকি অন্যায় উপায়েৰে কিছু ধন অন্যায়ৰূপে হাত কৰি লোৱা। চোভিয়েট চৰকাৰে এওঁলোকক বৰ নিৰ্মম দণ্ড দিব ধৰিলে। মধ্যবিত্ত শ্ৰেণীৰ বহুতো লোকৰ প্ৰতিও চৰকাৰে বৰ কঠোৰ দণ্ডৰ ব্যৱস্থা কৰিলে, তেওঁলোকৰ সন্দেহ এওঁলোকে শত্ৰুপক্ষৰ হৈ চোৰাংচোৱা বৃত্তি অৱলম্বন কৰিছে আৰু তেওঁলোকৰ অন্যায় কৰিবলৈ চেষ্টা কৰিছে। এই সন্দেহৰ কাৰণে বহুতো ইঞ্জিনিয়াৰক শাস্তি দিয়া হ'ল—জেলত দিয়া হ'ল। অথচ তেতিয়া ইমান ধৰণৰ ডাঙৰ ডাঙৰ কাম তেওঁলোকে হাতত লৈছে, সেই কামৰ কাৰণে ইঞ্জিনিয়াৰেই বিশেষ কৰি প্ৰয়োজন। সেয়ে এই নীতিৰ ফলত তেওঁলোকৰ পৰিকল্পনাবো কাৰ্যত ব্যাঘাত হৈছিল।

অনুপাত হিচাবত সকলো ক্ষেত্ৰতো অসামঞ্জস্য দেখা গৈছিল। যানবাহনৰ ব্যৱস্থা বৰ পিছত পৰি বল, এতেকে কাৰখানা আৰু পথাৰত যিমান বস্তু উৎপন্ন হৈছিল যানবাহনৰ অভাৱত সেইবোৰ বহু সময়ত আটক হৈ পৰি থাকিবলগীয়া হ'ল। ইয়াৰ ফলত সকলোতে কাম কাজত বৰ ব্যাঘাত হ'ব। যোগ্য বিশেষজ্ঞ আৰু ইঞ্জিনিয়াৰৰ অভাৱ আছিল, এইটোৱেই আছিল তেওঁলোকৰ অসুবিধাৰ কথা।

পাঁচ বছৰীয়া পৰিকল্পনা যেতিয়া চলিছিল, সেই সময়ত পৃথিৱী জুৰি, অৰ্থাৎ পৃথিৱীৰ পুঁজিবাদী দেশসমূহত বাণিজ্য সংকটে দেখা দিছিল, এনে ডাঙৰ সংকট পৃথিৱীত আৰু কেতিয়াও হোৱা নাছিল, বাণিজ্যৰ সংকোচন আৰম্ভ হৈছে, কাৰখানা-বোৰ বন্ধ হৈ গৈছে, নিবনুৱা সমস্যা বাঢ়ি গৈছে। খাদ্য বস্তুৰ আৰু কেচামালৰ দৰ অতিশয় কমি গৈছে—তাৰ ফলত পৃথিৱীৰ সকলোতে কৃষক সকলৰ অৱস্থা দুৰ্গতিৰ চৰম সীমা পাইছেগৈ। সকলো দেশতে কামৰ অভাৱ আৰু নিবনুৱা সমস্যা, তাৰে মাজতে থিয় হৈ চোভিয়েট ইউনিয়নত অসম্ভৱ কৰ্মব্যস্ততা আৰু কামত হেঁচা ই এটা আচৰিত প্ৰভেদ। দেখি ভাব হ'ল পৃথিৱীজুৰি হোৱা এই সংকটৰ বাহুৱে চোভিয়েট ইউনিয়নক স্পৰ্শ কৰিব পৰা নাই—ইয়াৰ অৰ্থনৈতিক ভেটিয়েই আন ধৰণৰ। কিন্তু তথাপি সেই সংকটৰপৰা চোভিয়েট ইউনিয়নে একেবাৰে হাত সাৰিব নোৱাৰিলে—পৰোক্ষভাৱে আৰু অলক্ষিতে ইয়াৰ ছাঁ চোভি-য়েটৰ গাতো আহি পৰিল, যিবোৰ বাধাবিঘিনি ইয়াৰ আছিল—সেইবোৰ বঢ়াই তুলিলে। তোমাক কৈছিলোঁ—চোভিয়েট ইউনিয়নে বিদেশৰপৰা কলকব্জা কিনিছিল, তাৰ দাম শোধ কৰিছিল, নিজৰ কৃষিজাত বস্তু বিদেশৰ বজাৰত বিক্ৰী কৰি। পৃথিৱীৰ বজাৰত খাদ্য দ্ৰব্য আদিৰ দাম কমি যোৱাৰ ফলত চোভিয়েটেও ইয়াৰ বস্তুৰ কাৰণে কমকৈ টকা পাব ধৰিলে। অথচ যি কলকব্জা কিনিছে সেইবোৰৰ দাম দিব লাগিব, সেই কাৰণে যথেষ্ট পৰিমাণে সোঁণ যোগাব কৰিব-

লগীয়া হৈছে। এতেকে তেতিয়া ই আৰু বেছি বেছিকৈ খাদ্য দ্রব্য বাহিৰলৈ ৰপ্তানি কৰিবলগীয়া হ'ল। বিশ্বব্যাপী বাণিজ্য সংকট আৰু দৰৰ মূল্য কমি যোৱাৰ ফলত এইদৰে চোভিয়েটেও বহুখিনি ক্ষতি সহ্য কৰিবলগীয়া হৈছিল— যিবোৰ হিচাবতে ই চলিছিল তাৰ বহুখিনি ওলট-পালট হৈ গ'ল. ইয়াৰ কাৰণেই আকৌ দেশৰ ভিতৰত মানুহৰ প্রয়োজনীয় বস্তু-বেহানী পোৱাৰ পৰিমাণ আৰু কমাই দিবলগীয়া হ'ল। মানুহৰ কষ্ট আৰু বাঢ়ি গ'ল।

একালে খোৱা বস্তুৰ সংস্থান দিনে দিনে কমি যাব ধৰিছে ঠিক তেতিয়াই আনফালে ইউনিয়নৰ সকলোতে জনসংখ্যা বৰ বেগেৰে বাঢ়িব ধৰিছে। কৃষিজাত বস্তুৰ উৎপাদনৰ হাৰ বহুতো কম, তাৰ তুলনাত ইমান বেছি বেগেৰে লোকসংখ্যা বাঢ়িব ধৰিছে যে ই বোধহয় চৰকাৰৰ এটা ডাঙৰ সমস্যা হৈ পৰিল। সমাজতন্ত্রী চোভিয়েট ইউনিয়নৰ যি এলেকা, বিপ্লৱৰ আগতে তাৰ লোকসংখ্যা আছিল ১৩ কোটি। গৃহযুদ্ধত বহুতো লোক নিহত হ'ল—তথাপি বিপ্লৱৰ পিছৰ কাল-ছোৱাত কি জোৰেৰে লোকসংখ্যা বাঢ়িব ধৰিছে—এবাৰ চোৱা :—

১৯১৭ চনত লোকসংখ্যা আছিল—				১৩০,০০০,০০০
১৯২৬	,,	,,	,,	১৪৯,০০০,০০০
১৯২৯	,,	,,	,,	১৫৪,০০০,০০০
১৯৩০	,,	,,	,,	১৫৮,০০০,০০০
১৯৩৩ (বসন্ত কালৰ হিচাব)			,,	১৬৫,০০০,০০০

ইয়াৰপৰাই দেখা গৈছে পোন্ধৰ বছৰৰ অলপ বেছি সময়ৰ ভিতৰত প্ৰায় তিনি কোটি লোক বাঢ়িছে, তাৰ মানে শতকৰা ২৬ জনকৈ বাঢ়িছে, জনসংখ্যা বৃদ্ধিৰ এইটো এটা অসাধাৰণ নমুনা।

কেৱল যে দেশ হিচাবেই চোভিয়েট ইউনিয়নৰ সকলোতে লোকসংখ্যা বাঢ়ি গৈছিল সেইটো নহয় বিশেষকৈ চহৰবোৰত লোকসংখ্যা বৰকৈ বাঢ়িছিল। পুৰণি যিবোৰ চহৰ আছিল তাৰ আয়তন দিনে দিনে বাঢ়িব ধৰিলে। মৰুভূমি আৰু ষ্টেপ অঞ্চলতো নতুন নতুন শিল্প প্রধান চহৰ গঢ়ি উঠিল। পাঁচ বছৰীয়া পৰিকল্পনা অনুসৰি বৰ ডাঙৰ ডাঙৰ সকলো প্রতিষ্ঠান গঢ়ি তোলা হৈছিল— সেইবোৰ কাষত নগাৰ আশাৰে অসংখ্য কৃষক গাওঁ এৰি চহৰবোৰলৈ আহিব ধৰিলে। ১৯১৭ চনত সমাজতন্ত্রী চোভিয়েট ইউনিয়নৰ ভিতৰত ২৪খন চহৰ আছিল প্ৰত্যেকৰে লোকসংখ্যা আছিল ১ লাখৰ ওপৰত। ১৯২৬ চনত এনে ধৰণৰ চহৰৰ সংখ্যা হ'ল গৈ ৩১, ১৯৩৩ চনত ইয়াৰ সংখ্যা পঞ্চাশৰো ওপৰত উঠিছে। পোন্ধৰ বছৰৰ ভিতৰত চোভিয়েট কচিয়াই এশৰো ওপৰ শিল্প প্রধান চহৰ গঢ়ি তুলিলে। ১৯১৩ চনৰপৰা ১৯৩২ চনৰ ভিতৰত মস্কো চহৰৰ জনসংখ্যা দুগুণ হৈ পৰিল, ১৯১৩ চনত লোকসংখ্যা আছিল ১৬,০০,০০০, ১৯৩২ চনত হল ৩২,০০,০০০। লেনিনগ্রেডত বহুলাখ লোক বাঢ়িল, এতিয়া ইয়াৰ মুঠ লোকসংখ্যা প্ৰায় ত্রিশ লাখৰ ওচৰাওচৰি। ট্রান্স ককেচীয় অঞ্চল বাকু চহৰৰো লোক সংখ্যা দুগুণ হৈছে—৩,৩৪,০০০ পৰা বাঢ়ি গৈ ৬,৬০,০০০ হৈছেগৈ।

খুঠৰ ওপৰত চহৰত থকা লোকৰ সংখ্যা ১৯৩৩ চনত আছিল ২ কোটি, ১৯৩২ চনত হৈছে চাৰে তিনি কোটি।

কৃষকসকল যেতিয়া গাঁৱঁত থাকে তেতিয়া খাদ্য উৎপাদন কৰে, চহৰলৈ গৈ যেতিয়া ই শ্ৰমিকত পৰিণত হয় তেতিয়া আৰু সি খাদ্য উৎপাদন নকৰে। কাৰখানাৰ শ্ৰমিক স্বৰূপে ই হয়তো কলত হোৱা বস্তু বা যন্ত্ৰপাতি তৈয়াৰ কৰিছে, কিন্তু খাদ্য বস্তুৰ ফালৰপৰা ই এতিয়া এজন খাউৰীয়া মাথোন। এতেকে গাঁৱঁৰপৰা ইমান বেছি পৰিমাণৰ কৃষক চহৰলৈ যোৱা মানে হ'লগৈ—খাদ্য উৎপাদন কৰোতাসকল খাদ্য হজম কৰাত পৰিণত হোৱা। খাদ্য সমস্যা আৰু বেছি জটিল কৰি তোলাত ইও এটি কাৰণ হৈ পৰিল।

আৰু এটি কাৰণ আছিল। দেশৰ শিল্প প্ৰচেষ্টা দিনে দিনে বাঢ়ি গৈছে. তাৰ কাৰখানাবোৰৰ কাৰণে আৰু বেছি কেচামাল দৰকাৰ। যেনে কাপোৰৰ কাৰখানাৰ কাৰণে দৰকাৰ হ'ল তুলাৰ। এতেকে বহু মাটিত খাদ্য বস্তুৰ পৰিবৰ্তে তুলা আৰু আন আন কেচামালৰ খেতি কৰা হ'ল। ইয়াৰ ফলতো খাদ্য সংস্থান কমি আহিল।

চোভিয়েট ইউনিয়নত যি পোহৰেৰে জনসংখ্যা বাঢ়ি গৈছিল, সেইটোৱেই ইয়াৰ সমৃদ্ধিৰ এটি স্পষ্ট প্ৰমাণ। আমেৰিকাৰ জনসংখ্যা বাঢ়িছিল বাহিৰৰপৰা মানুহ অহাৰ কাৰণে, চোভিয়েটত কিন্তু সেইটো নহয়। ইয়াতে বুজা গ'ল, মানুহৰ অভাৱ আৰু কষ্ট বহুত আছিল তথাপি প্ৰকৃততে অনাহাৰত তেওঁলোক থাকিবলগীয়া হোৱা নাছিল। পৰিমিত খাদ্য বিতৰণৰ এটি অতি কঠোৰ ব্যৱস্থা কৰিছিল চৰকাৰে। তাৰ ভবিষ্যতে মানুহৰ ঠিক বিধিনি খাদ্যদ্ৰব্য একান্ত প্ৰয়োজনীয় তাকে তেওঁলোকক যোগান ধৰিব পৰা হৈছিল। পৰ্যবেক্ষকসকলৰ মতে মানুহৰ সংখ্যা যে ইমান বেগেৰে বাঢ়িব পাৰিছে তাৰ প্ৰধান কাৰণ হ'ল মানুহৰ মনত আৰ্থিক সংস্থানৰ এটি আশ্বাস আৰু নিশ্চয়তা আছিল। শিশুসকল এতিয়া আৰু পৰিয়ালৰ বোজা নহয়—তেওঁলোকৰ ভৰণ-পোষণ আৰু শিক্ষাৰ ব্যৱস্থা কৰিবৰ কাৰণে ৰাষ্ট্ৰই দায়িত্ব লৈছে। আৰু এটা কাৰণ হৈছে স্বাস্থ্য বিধি আৰু চিকিৎসা ব্যৱস্থাৰ উন্নতি, ইয়াৰ ফলত শিশুৰ মৃত্যুৰ হাৰ শতকৰা ২৭ৰপৰা। নামিগৈ শতকৰা ১২ত পৰিছেগৈ। মস্কোত ১৯১৩ চনত সাধাৰণতে মৃত্যুৰ হাৰ আছিল প্ৰতি হাজাৰত ২৩ জনৰ ওপৰত। ১৯৩১ চনত ই প্ৰতি হাজাৰত ১৩ জনবো কম হৈছেগৈ।

খাদ্যৰ অনাটন লৈ যিবোৰ অসুবিধা হৈছিল, ১৯৩১ চনত আকৌ তাৰ ওপৰত নতুন এটা বিপদ আহি যোগ দিলে—ইউনিয়নৰ কোনো কোনো ঠাইত অনাবৃষ্টি হ'ল। ১৯৩১ চন আৰু ১৯৩২ চনত দূৰ প্ৰাচ্য অঞ্চলত যুদ্ধৰ আতঙ্কয়ো দেখা দিলে। জাপানীসকলে আন আন পুঁজিবাদী দেশসমূহৰ লগত লগ হৈ ইয়াক আক্ৰমণ কৰিব, এই ভয়তে চোভিয়েট ৰুচিয়াই প্ৰয়োজনৰ সময়ত সৈন্যসকলক খুৱাবৰ কাৰণে শস্য আৰু কল খাদ্য সামগ্ৰী সঞ্চয় কৰিবলৈ আৰম্ভ কৰিলে। অন্য দেশসমূহে চোভিয়েটক আক্ৰমণ কৰিব, যুদ্ধ লগাব এই ভয় সঁচাকৈয়ে আছে—সকলো সময়তে ইয়াৰ সম্ভাৱনা আছে। বলচেভিকসকল এই ভয়ত সদায় সন্ত্ৰস্ত; মাজে মাজে তেওঁলোক যুদ্ধৰ আতঙ্কত অস্থিৰ হৈ পৰে। ৰুচিয়াৰ এটা পুৰণি

প্ৰবাদ আছে— 'ভয়ৰ চকু ডাঙৰ ডাঙৰ''—কথাটো অতি সঁচা, সেইটো সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ বাবেই কোৱা বা দেশ বা জাতিবোৰৰ সম্বন্ধেই কোৱা। কমিউনিজম আৰু পুঁজিবাদৰ মাজত প্ৰকৃত সন্ধি কেতিয়াও হ'ব নোৱাৰে, কমিউনিজমক ধ্বংস কৰিবৰ, নষ্ট কৰিবৰ কাৰণে সাম্ৰাজ্যবাদী দেশসমূহৰ আগ্ৰহৰ অভাৱ নাই; সকলো সময়তে তেওঁলোকে ইয়াৰ কাৰণে চল চক্ৰান্ত চলাইছে। সেই কাৰণে বলচেভিকবোৰৰ স্নায়ুবোৰ সকলো সময়তে উত্তেজিত হৈ আছে—সামান্য এটি কাৰণতো তেওঁলোকৰ চকু ডাঙৰ ডাঙৰ হৈ উঠে। উদ্বেগৰ কাৰণো তেওঁলোকৰ প্ৰায়েই ঘটে, দেশৰ ভিতৰতো 'চেবোটেজ'' অৰ্থাৎ ডাঙৰ ডাঙৰ কাৰখানা বা আন আন ডাঙৰ ডাঙৰ প্ৰতিষ্ঠানক ধ্বংস কৰাৰ ব্যাপক ষড়যন্ত্ৰ তেওঁলোকে ইয়াৰ ব্যৰ্থ কৰিবলগীয়া হৈছিল।

১৯৩২ চনটো চোভিয়েট ইউনিয়নৰ পক্ষে বৰ সঙ্কটৰ সময় আছিল; আৰু ১৯৩৩ চনৰ জুলাই মাহত মই এই চিঠি লিখাৰ সময়তো সেই সঙ্কট পাৰ হোৱা নাই। পশ্চাদ্‌গামী কাৰ্য আৰু সামূহিক সম্পত্তিবোৰ কৰাৰ বিৰুদ্ধে চৰকাৰে অতি কঠোৰ ব্যৱস্থা অৱলম্বন কৰিছে। যৌথ কৃষি ক্ষেত্ৰবপৰা বহুতো বস্তু-বাহানি চুৰি হোৱাৰ কাৰণেই তেওঁলোকৰ এই ব্যৱস্থা। সাধাৰণতে কচিৎহে মৃত্যু দণ্ডৰ প্ৰবৰ্তন কৰা হৈছে। চোভিয়েট চৰকাৰে ঘোষণা কৰিছে সামূহিক তথা যৌথ সম্পত্তি চুৰি কৰাটো প্ৰতি বিপ্লৱৰে চিনা; এতেকে সেই অপৰাধতো মৃত্যু দণ্ড দিয়া হ'ব। ষ্টালিনে কয়—''পুঁজিবাদীসকলে কৈছিল, ব্যক্তিগত সম্পত্তি পৱিত্ৰ বস্তু—তাত হস্তক্ষেপ কৰা অবৈধ। এই নীতি প্ৰচাৰ কৰিয়েই তেওঁলোকে পুঁজিবাদী সমাজ ব্যৱস্থাক দৃঢ় প্ৰতিষ্ঠিত কৰি নিছিল। এতেকে এইবাৰ আমিও কমিউনিষ্টসকলে আৰু বেছি জোৰ দি কম, ৰাজহুৱা সম্পত্তি পৱিত্ৰ বস্তু তাত হস্তক্ষেপ কৰা অবৈধ—যেন এই নীতিৰে আমি অৰ্থনৈতিক ব্যৱস্থাৰ এই সমাজতন্ত্ৰী পদ্ধতিবোৰ দৃঢ় ভাৱে প্ৰতিষ্ঠিত কৰিব পাৰোঁ।।'

অভাৱ দূৰ কৰাৰ কাৰণে চোভিয়েট চৰকাৰে আৰু ব্যৱস্থা কৰিলে। ইয়াৰ ভিতৰত অৰ্থনৈতিক ডাঙৰ ব্যৱস্থাটো হ'ল যৌথ আৰু একক খেতিয়কবোৰ কৃষি-পাম আছিল সেইবোৰক অনুমতি দিয়া হ'ল, তেওঁলোকৰ বাহি শস্যখিনি তেওঁলোকে পোনপটীয়াভাৱে চহৰৰ বজাৰত নি বেচিব পাৰিব।'' ১৯২১ চনৰ সাময়িক কমিউনিজমৰ পিছত নেপে (N.E.P.) যি ব্যৱস্থা প্ৰবৰ্তন কৰিছিল তাৰ কথা ই মনত পেলাই দিয়ে। কিন্তু চোভিয়েট ইউনিয়নত তেতিয়াৰ ব্যৱস্থা আৰু এতিয়াৰ ব্যৱস্থাৰ মাজত প্ৰভেদ বহুতো। কিয়নো সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ পথত ই বহুখিনি আগবাঢ়ি গৈছে। দেশত শিল্পতন্ত্ৰৰ প্ৰতিষ্ঠা সম্পূৰ্ণ হৈছে; দেশৰ কৃষি ব্যৱস্থা বহুখিনি সমাজৰ আয়ত্তলৈ অনা হৈছে।

যোৱা চাৰিবছৰৰ ভিতৰত যৌথ কৃষিপাম, ২০০,০০০ খন গঠন কৰা হৈছে। ৰাষ্ট্ৰৰ নিজৰ কৃষিপামো আছিল প্ৰায় ৫,০০০। ৰাষ্ট্ৰৰ এই কৃষিপামবোৰক আন-বোৰৰ কাৰণে আদৰ্শৰ স্বৰূপ বুলি গণ্য কৰা হয়। এইবোৰৰ একো একোখনৰ আয়তন বৰ ডাঙৰ, এখন পামৰ হৈছে 'জায়েণ্ট' (দৈত্য), ইয়াৰ মাটিৰ পৰিমাণ হৈছে '৫০,০০,০০০ একৰ। এই পামবোৰৰ ভিতৰতে আৰু ১,২০,০০০

টা ট্ৰেক্টৰ কামত নিযুক্ত কৰা হৈছে। দেশৰ কৃষকসকলৰ মাজত প্ৰায় দুই তৃতীয়াংশ লোকে এতিয়া এইবোৰ যৌথ কৃষিপামৰ অন্তৰ্ভুক্ত হৈ কাম কৰিছে।

আৰু এটি কামে আচৰিত ৰকমে বিস্তাৰ লাভ কৰিছে, সেইটো হৈছে সমবায় আন্দোলন। ১৯২৮ চনত গ্ৰাহকসকলৰ সমবায় সমিতিৰ (Consumers' Co-operative Society) সভ্যসংখ্যা আছিল ২৬৫ লাখ, ১৯৩২ চনত এই সংখ্যা বাঢ়ি গৈ হৈছে ৭৫০ লাখ। এই সমিতিৰ তত্ত্বাৱধানত অসংখ্য পাইকাৰী আৰু খুচুৰা দোকান যেন শিকলিৰেহে গথা আৰু এই দোকানসমূহ ইউনিয়নৰ এক প্ৰান্তৰপৰা অন্য প্ৰান্তলৈকে বিয়পা, দেশৰ সুদূৰ কোনলৈকে ইয়াক পোৱা যায়।

১৯৩৩ চনৰ ১লা জানুৱাৰীৰপৰা দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাম আৰম্ভ হৈছে। ইয়াৰো আকাঙ্ক্ষা সুদূৰ প্ৰসাৰী। কিন্তু প্ৰথমবাৰৰ পৰিকল্পনাৰ তুলনাত এইবাৰৰ কাম সহজ। ইয়াৰ উদ্দেশ্য হৈছে কিছুমান সৰু শিল্প গঢ়ি তোলা, যাৰ দ্বাৰা জনসাধাৰণৰ জীৱন যাত্ৰাৰ বেগেৰে উন্নতি সাধন কৰা যাব।

যোৱা চাৰিবছৰ ধৰি দেশৰ জনসাধাৰণে বহু কষ্ট বহুতো অভাৱ সহ্য কৰি আছিছে। এইবাৰ তেওঁলোকৰ অলপ আৰাম, আৰু জীৱন যাত্ৰাৰ অলপ উন্নত ব্যৱস্থা দিয়াৰ আশা কৰা হৈছে,—সেইটোৱেই হ'ব তেওঁলোকৰ এই কষ্ট স্বীকাৰৰ পুৰস্কাৰ। প্ৰয়োজনীয় কল-কব্জাৰ কাৰণে আৰু বিদেশৰ ওচৰত আশা কৰাৰ দৰকাৰ আৰু প্ৰায় নাই, কাৰণ চোভিয়েটৰ গুৰু শিল্প প্ৰতিষ্ঠানবোৰেই সেই সকলোবে এতিয়া যোগান ধৰিব পাৰে। ইয়াৰ দ্বাৰা এফালেদি চোভিয়েটৰ কষ্ট কৰিব বিদেশৰপৰা বস্তু কিনি তাৰ মূল্যস্বৰূপে নিজৰ প্ৰচুৰ পৰিমাণৰ খাদ্য-দ্ৰব্য বাহিৰলৈ পঠোৱাৰ আৰু আৱশ্যক নহ'ব।

অলপতে যৌথ কৃষিপামবোৰত কাম কৰা কৃষকসকলৰ এখন কংগ্ৰেছৰ বক্তৃতা প্ৰসঙ্গত ষ্টালিনে কৈছে—"আমাৰ প্ৰধান কৰ্তব্য হৈছে, গোটেই যৌথ প্ৰতিষ্ঠানৰ অন্তৰ্ভুক্ত কৃষকসকলৰ সুখ-স্বাচ্ছন্দ্যৰ ব্যৱস্থা কৰা। সঁচা কমৰেডসকল, সুখ-স্বাচ্ছন্দ্য—মানুহে বহুত সময়ত কয়—সমাজতন্ত্ৰই যদি হৈছে তেন্তে এতিয়াও আমি এনেদৰে খাটিছো কিয়? আগেয়েও খাটিছিলোঁ, এতিয়াও খাটিছোঁ, খাটনিৰ পৰা ৰেহাই পোৱাৰ দিন কি আজিও অহা নাই? —নাই। সমাজতন্ত্ৰ গঢ়ি উঠে শ্ৰমৰ ওপৰত। সমাজতন্ত্ৰৰ কথাই হৈছে—প্ৰত্যেকজন লোকে নিষ্ঠাৰে কাম কৰিব,—কাম কৰিব আনৰ কাৰণে নহয়—ধনীসকলৰ কাৰণে নহয়—শোষকসকলৰ কাৰণে নহয়—কৰিব নিজৰ কাৰণে—নিজৰ সমাজৰ কাৰণে।"

কাম আছে আৰু থাকিবও। কিন্তু পাঁচবছৰীয়া পৰিকল্পনাৰ সেই চাৰিবছৰ যি বিষম কষ্ট সহ্য কৰি মানুহে কাম কৰিবলগীয়া হৈছিল, ভৱিষ্যত তাৰ তুলনাত তেওঁলোকৰ কাম বহুত বেছি আনন্দদায়ক আৰু লঘু হ'ব বুলি আশা কৰিব পাৰি। আচলতে চোভিয়েট ইউনিয়নৰ নীতিয়েই হৈছে 'যি কাম নকৰিব—সি খাবও নেপাব।' কেৱল সেয়ে নহয়, কাৰৰ মাজত এটি নতুন প্ৰেৰণা যোগাইছে বলচেভিকসকলে—সেইটো হৈছে সমাজৰ কল্যাণসাধনৰ প্ৰেৰণা। অতীত কালতো আদৰ্শবাদীসকলে বা দুই এজনে এই প্ৰেৰণা লৈ কাম কৰিবলৈ উদ্বুদ্ধ হৈছিল,

কিন্তু গোটেই সমাজেই এক হৈ এই উদ্দেশ্যক ইয়াৰ ব্ৰত বুলি লৈ, ইয়াক কাৰ্যত পৰিণত কৰাৰ চেষ্টা কৰা, এনে কোনো উদাহৰণ অতীতৰ বুৰঞ্জীত নাই। পুঁজি-বাদৰ মূল ভেটিয়েই হ'ল প্ৰতিযোগিতা, আৰু আনক মাৰি নিজৰ লাভৰ সংস্থান কৰা। চোভিয়েট ইউনিয়নত এই লাভ সংগ্ৰহৰ প্ৰবৃত্তি মৰি গৈ তাৰ ঠাই লৈছে সহবৃত্তিয়ে। আমেৰিকাৰ এজন লেখকে কৈছে—ৰুচিয়াৰ শ্ৰমিকসকলে লাহে লাহে বুজিব পাৰিছে 'পৰস্পৰৰ ভিতৰত নিৰ্ভৰ কৰা কথাটো যদি মানি লব পাৰিব তেন্তে তাৰপৰাই পোৱা যাব অভাৱ আৰু ভয়ৰপৰা মুক্তি।' পৃথিৱীৰ সকলোতে জনসাধাৰণ দৰিদ্ৰতা আৰু অনিশ্চয়তাৰ আতঙ্কত জৰ্জৰিত হৈ আছে, ৰুচিয়াই সেই ভয় আৰু আতঙ্ক দূৰ কৰিছে ; এইটো ইয়াৰ এটি ডাঙৰ কীৰ্তি শুনা যায় এই শান্তি লাভৰ ফলত চোভিয়েট ইউনিয়নৰপৰা মানসিক ৰোগৰ প্ৰকোপ এতিয়াই প্ৰায় লুপ্ত হৈছে।

কটকৰ সেই চাৰিটা বছৰত চোভিয়েট ইউনিয়নৰ সকলোতে আৰু প্ৰায় সকলো কথাতে নতুন জীৱনৰ সঁহাৰি পোৱা গৈছিল ; হয়তো বহু বেদনা আছে, অসামঞ্জস্য আছে। তথাপি তাৰ শক্তি অসীম। নতুন নতুন চহৰ গঢ়ি উঠিছে দেশত, গঢ়ি উঠিছে নানান শিল্প প্ৰতিষ্ঠান, ডাঙৰ ডাঙৰ যৌথ কৃষিপাম, ডাঙৰ ডাঙৰ সমবায় প্ৰতিষ্ঠান, বাণিজ্য বাঢ়িল, বাঢ়িল দেশৰ লোকসংখ্যা, সংস্কৃতিৰ প্ৰতিষ্ঠা হ'ল, বিজ্ঞানৰ বিদ্যা চৰ্চাৰ আয়োজন হ'ল। সকলোতকৈ ডাঙৰ কথা বাল্টিক সাগৰৰপৰা। প্ৰশান্ত মহাসাগৰলৈ আৰু মধ্য এচিয়াৰ পামিৰ আৰু হিন্দুকুশ পৰ্বত মালালৈকে বিয়পা এই সমাজতন্ত্ৰী চোভিয়েট ইউনিয়নৰ মাজত বিমান সংখ্যক মানুহ আৰু জাতিৰ বসতি, এই কেইবছৰৰ ভিতৰতে তেওঁলোকৰ মাজতে অভূতপূৰ্ব ঐক্য আৰু মিলনৰ বান্ধোন গঢ়ি উঠিছে—সেই বান্ধোন অবিচ্ছেদ্য।

শিক্ষা, বিজ্ঞান আৰু সংস্কৃতিৰ যি ব্যাপক উন্নতি সমাজতন্ত্ৰী চোভিয়েট ইউনিয়নত হৈছে ; তাৰ কথা তোমালোকে লেখিবলৈ বৰ লোভ হৈছে ; কিন্তু সেই লোভ বাধ্য হৈ সামৰিবলগীয়া হ'ল। দুই চাৰিটা সৰু সৰু বাতৰি মাথো লেখিছোঁ। শুনি তুমি হয়তো ভাল পাবা। ৰুচিয়াৰ শিক্ষা ব্যৱস্থাই এতিয়া পৃথিৱীৰ ভিতৰত সকলোতকৈ উৎকৃষ্ট আৰু আধুনিক, বহুতো বিজ্ঞ পৰ্যবেক্ষকৰেই এই মত। নিৰক্ষৰতা প্ৰায় দেশৰপৰা অন্তৰ্ধান হৈ গৈছে। মধ্য এচিয়াৰ উজবেকিস্তান আৰু তুৰ্কমেনিস্তান আদি অনুন্নত অঞ্চলতো অতিশয় আচৰিত উন্নতি দেখা গৈছে। মধ্য এচিয়াৰ এই অঞ্চলটোত ১৯১৩ চনত ১২৬ খন বিদ্যালয় আছিল, ইয়াৰ মুঠ ছাত্ৰসংখ্যা আছিল, ৬২০০ জন। ১৯৩২ চনত বিদ্যালয়ৰ সংখ্যা হ'ল ৬৯-৭৫ খন, ছাত্ৰৰ সংখ্যা হ'ল ৭০০,০০০ জন এওঁলোকৰ ভিতৰত এক তৃতীয়াংশ ছোৱালী। সকলো আৱশ্যকীয় শিক্ষাৰ প্ৰৱৰ্তন কৰা হৈছে। এই যি আচৰিত উন্নতিৰ পৰিচায়ক তাক মনত ৰাখিব লাগিলে এটি কথা জানিব লাগিব। অলপ দিন আগলৈকে এইবোৰ দেশত ছোৱালীবোৰ অন্তঃপুৰত আবদ্ধ হৈ থাকিবলগীয়া হৈছিল, ঘৰৰ বাহিৰ ওলাই মানুহৰ আগত ওলোৱাৰ অনুমতি তেওঁলোকৰ নাছিল। শিক্ষা বিস্তাৰত এই সাফল্যৰ কাৰণ হেনো আৰবত লেটিন বৰ্ণমালাৰ ব্যৱহাৰ। ইয়াত বিশেষ স্থানীয় বৰ্ণমালা চলিত আছিল তাৰ তুলনাত লেটিন বৰ্ণমালা প্ৰৱৰ্তন

কৰাৰ ফলত প্ৰাথমিক শিক্ষা বহুত সহজ হৈ পৰিল। তোমাক কৈছিলোঁ কামাল পাচা পুৰণি আৰবী বৰ্ণমালা তুলি দি লেটিন আখৰ বা বৰ্ণমালাৰ প্ৰচলন কৰিছিল। এই বুদ্ধি তেওঁ পাইছিল ৰুচিয়াৰপৰাই, আন আন ভাষাৰ উপযোগী কৰি লেটিন আখৰ ৰুচিয়াতে তৈয়াৰ কৰা হৈছিল, ইয়াৰ দ্বাৰা কামালে তাক গ্ৰহণ কৰে। ১৯২৭ চনত ককেচাচ অঞ্চলৰ প্ৰজাতন্ত্ৰবোৰে আৰবী আখৰ ত্যাগ কৰি লেটিন আখৰেৰে লেখা আৰম্ভ কৰিলে। ইয়াৰপৰাই নিৰক্ষৰতাৰ কাম বৰ সহজ হৈ গ'ল, তাকে দেখি চোভিয়েট অন্তৰ্গত প্ৰায় সকলো জাতিয়েই লাহে লাহে লেটিন আখৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে, চীনা, মঙ্গোল, তুৰ্কী, তাৰ্তাৰ, বুৰিয়াত, বচকিৰ, তাজিক আদি কোনো বাদ নপৰিল, স্থানীয় ভাষা যি কেইটা আছিল,—সেইকেইটাই সকলোতে চলি থাকিল, সলনি হ'ল কেৱল লেখাৰ আখৰবোৰ।

এটা ভাল বাতৰি তোমাক দিওঁ, চোভিয়েট ইউনিয়নত যিমান সৰু সৰু ল'ৰা-ছোৱালী স্কুলত পঢ়ে তাৰ ভিতৰত দুই তৃতীয়াংশতকৈও বেছিজনক স্কুলত জলপান খাব দিয়াৰ ব্যৱস্থা হৈছে। ইয়াৰ কাৰণে কোনো মূল্য লোৱা নহয়। শিক্ষাৰ কাৰণেও কোনো মাচুল দিব নালাগে শ্ৰমিকৰ ৰাষ্ট্ৰতো সেইটো হ'বই।

আখৰ পৰিচয় আৰু শিক্ষা বিস্তাৰৰ লগে লগে এটি ডাঙৰ পাঠক শ্ৰেণী দেশত সৃষ্টি হৈছে। ৰুচিয়াত যিমান কিতাপ আৰু বাতৰি কাকত ছপা হৈছে ইমান বোধ হয়—পৃথিৱীৰ কোনো দেশতে নহয়। এই কিতাপৰ প্ৰায় সকলোবোৰেই হৈছে গভীৰ বিষয়ৰ কিতাপ। আন দেশৰদৰে সাধাৰণ উপন্যাস নহয়। ইঞ্জিনিয়াৰিং অৰু বিদ্যুৎ সম্বন্ধে ৰুচিয়াৰ শ্ৰমিকসকলৰ জানিবৰ আগ্ৰহ বৰ বেছি; গল্পৰ কিতাপতকৈ এইবোৰৰ বিষয়ে লেখা কিতাপ-পাতিয়ে এওঁলোকে বেছি ভাল পায়। শিশুসকলৰ কাৰণে অৱশ্যে বৰ সুন্দৰ সকলো কিতাপ আছে; তাৰ ভিতৰত সাধুকথাৰ কিতাপো পোৱা যায়। কিন্তু গোৰো বলচেভিকসকলে এওঁলোকক সাধুকথা পঢ়িব দিয়াৰ পক্ষপাতী নহয়।

কিতাপত চোভিয়েট ৰুচিয়াই ইতিমধ্যে পৃথিৱীৰ ভিতৰত শীৰ্ষস্থান অধিকাৰ কৰিছে, বিজ্ঞানৰ নিভাজ আলোচনা আৰু তাৰ বাস্তৱ প্ৰয়োগ দুয়ো ফালেদিয়েই। বিজ্ঞানৰ বিভিন্ন বিভাগৰ অসংখ্য ডাঙৰ ডাঙৰ প্ৰতিষ্ঠান আৰু পৰীক্ষা কেন্দ্ৰ গঢ়ি উঠিছে। লেনিনগ্ৰেডত ডাঙৰ এটা উদ্ভিদ চৰ্চাৰ প্ৰতিষ্ঠান আছে, তাত ২৮,০০০ টা বিভিন্ন প্ৰকাৰৰ গম দেখিব পোৱা যায়। উৰাজাহাজৰ সহায়ত ধানৰ বীজ বোৱাৰ বিভিন্ন প্ৰণালী লৈ ইয়াত পৰীক্ষা চলিছে।

জাৰসকলৰ আৰু আভিজাত্যসকলৰ যিবোৰ পুৰণি প্ৰাসাদ আছিল এতিয়া সেইবোৰ পৰিণত হৈছে যাদুঘৰ বা প্ৰজাসকলৰ বাবে বিশ্ৰামঘৰ বা স্বাস্থ্যনিবাসত। লেনিনগ্ৰেডৰ ওচৰত এখন সৰু চহৰ আছে 'জাৰকো চেলো' (জাৰৰ গাওঁ)। ইয়াত সম্ৰাটৰ দুটা প্ৰাসাদ আছিল—গৰমকালি জাৰে ইয়াত বাস কৰিছিল। এতিয়া ইয়াৰ নামটো সলনি কৰা হৈছে, 'দেতচেকো চেলো' (শিশুসকলৰ গাওঁ)। পুৰণি প্ৰাসাদ দুটা বোধহয় এতিয়া ব্যৱহাৰ কৰা হৈছে শিশুসকলৰ আৰু চেমনীয়াসকলৰ কাৰণে। চোভিয়েট ৰাজ্যত এতিয়া শিশু আৰু চেমনীয়াসকলৰ বৰ আদৰ; সকলো ভালৰে ভালখিনি তেওঁলোকৰ কাৰণে থিতুথৈয়াকৈ ৰখা

হৈছে, তাৰ কাৰণ যদি শেষত হয়গৈও—এওঁলোকেই হ'ব তাৰ উত্তৰাধিকাৰী। মস্কোত মৰ ডাঙৰ এটা 'মাতৃ আৰু শিশুসকলৰ ৰক্ষাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান আছে'।

আন যিকোনো দেশৰ তুলনাত বোধহয়—ৰুচিয়াৰ মহিলাসকলৰ স্বাধীনতা বেছি। তাৰ লগে লগে তেওঁলোকৰ ৰক্ষাৰ ব্যৱস্থা ৰাষ্ট্ৰৰ তৰফৰপৰা কৰা হৈছে। সকলো ৰকমৰ ব্যৱসায়েই তেওঁলোকে গ্ৰহণ কৰিছে—মহিলা ইঞ্জিনিয়াৰ সেই দেশত বহুত আছে। বলচেভিকদলৰ পুৰণি কৰ্মী মেদাম কোলনেতাই হৈছে পৃথিৱীৰ প্ৰথম মহিলা যি ৰাষ্ট্ৰদূতৰ পদত নিয়োগ হৈছিল। লেনিনৰ বিধৱা পত্নী ক্ৰুপস্কায়া বোধহয় চোভিয়েট শিক্ষা বিভাগৰ এজনা প্ৰধান বিষয়া।

বিস্ময়েৰে ভৰা এই চোভিয়েট ইউনিয়ন। প্ৰত্যেক দিন প্ৰত্যেক ঘণ্টাত তাত ইমানবোৰ নতুন নতুন পৰিৱৰ্তন ঘটিব ধৰিছে। কিন্তু ইয়াৰ ভিতৰতেই আটাইতকৈ বেছি বিস্ময়কৰ আৰু আকৰ্ষণীয় অঞ্চলটো হৈছে চাইবেৰিয়াৰ মৰু অঞ্চল আৰু মধ্য এচিয়াৰ উপত্যকাভূমি য'ত পুৰণি পৃথিৱীৰ চিন এতিয়াও জীয়াই আছে। এই দুয়ো অঞ্চলতেই কেইবাপুৰুষ ধৰি মানৱ জীৱনৰ পৰিৱৰ্তন আৰু প্ৰগতিৰ পথৰপৰা বহুদূৰ আঁতৰি আছিল, দুয়োটা এতিয়া বিদ্যুত গতিত উন্নতিৰ পথত আগুৱাই গৈছে। এইবোৰ পৰিৱৰ্তন কিমান জোৰে আৰু বেগেৰে হৈছে তাৰ ধাৰণা তুমি যাতে কৰিব পাৰা তাৰ কাৰণে মই তোমাক তাজিকিস্তান সম্বন্ধে কেইটামান গল্প শুনাইছোঁ। চোভিয়েট ইউনিয়নৰ মাজত এইখনেই বোধ হয় আছিল সকলোতকৈ অনুন্নত ঠাইবোৰৰ এখন।

তাজিকিস্তান পামিৰ উপত্যকাত অৱস্থিত। ই অক্সাচ নদীৰ উত্তৰত। আফগানিস্তান আৰু চানা তুৰ্কিস্তানৰ সীমা, আৰু ভাৰত সীমান্তৰপৰাও ইয়াৰ দূৰত্ব বেছি নহয়। একালত এইখন বোখাৰাৰ আমীৰসকলৰ ৰাজ্য আছিল, তেওঁলোক আকৌ আছিল ৰুচিয়াৰ জাৰৰ তলতীয়া সামন্ত-পতি। ১৯২০ চনত বোখাৰাত এটি স্থানীয় বিপ্লৱ হ'ল, আমীৰ পদচ্যুত হ'ল, বোখাৰাৰ প্ৰজাসকলৰ মাজত চোভিয়েট প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠিত হ'ল। ইয়াৰ পিছতে হ'ল গৃহযুদ্ধ, এইবোৰ বিদ্ৰোহবোৰ দমন সময়তেই তুৰস্কৰ একালৰ জনপ্ৰিয় নেতা এনভাৰ পাছাৰ মৃত্যু হ'ল। বোখাৰাৰ প্ৰজাতন্ত্ৰটোৰ নাম হ'ল উজবেক চোচিয়েলিষ্ট চোভিয়েট ৰিপাব্লিক; যি কেইটা সাৰ্বভৌম প্ৰজাতন্ত্ৰ মিলি ইউ, এচ্, এচ্, আৰ গঠিত হৈছে এইখন তাৰেই এখন বুলি গণ্য কৰা হ'ল। ১৯২৫ চনত উজবেক অঞ্চলৰ মাজত আকৌ এখন স্বতন্ত্ৰ তাজিক প্ৰজাতন্ত্ৰ গঠন হ'ল। ১৯২৯ চনত তাজিকিস্তান এখন সাৰ্বভৌম প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠিত হ'ল, ইউ, এচ্, এচ্, আৰ বা চোভিয়েট যুক্তৰাষ্ট্ৰৰ অন্তৰ্গত সাতখন ৰাষ্ট্ৰৰ ভিতৰত এখন বুলি গণ্য হ'ল।

ইমানখিনি মাতামাৰ অধিকাৰী হ'ল তাজিকিস্তান, কিন্তু তেতিয়াও ই সৰু আৰু অনুন্নত দেশ—ইয়াৰ লোকসংখ্যা দহ লাখৰ কম, ভাল আলি-পদূলি একোৱেই নাই, ইয়াৰ যাতায়াতৰ একমাত্ৰ পথ হৈছে উট ঘোঁৰা আৰিবাট। এই নতুন শাসনৰ আৰম্ভণিত অভাৱ পিছত পৰিকল্পনাৰে আলি-পদূলি, জলসিঞ্চন, আৰু কৃষি,

শিল্প, শিক্ষা আৰু স্বাস্থ্যবিধিৰ উন্নতিৰ ব্যৱস্থা কৰা হ'ল। মটৰগাড়ী চলা আলি তৈয়াৰ হ'ল, কপাহ খেতি আৰম্ভ হ'ল; জলসিঞ্চন প্ৰণালীৰ সহায়েৰে খেতিৰ ভাল ভাল ফচল পোৱা গ'ল। ১৯৩১ চনৰ মাজভাগত দেখা গ'ল কপাহ বাগিচা যিমান আছে তাৰ শতকৰা ষাঠি ভাগৰো বেছি যৌথ প্ৰতিষ্ঠানত পৰিণত হৈছে, খেতিৰ প্ৰচেষ্টাটো এটি বৃহৎ অংশ যৌথ কৃষি প্ৰচেষ্টাৰে ভিতৰুৱা হৈছে। বিদ্যুৎ উৎপাদনৰ এটি কাৰখানা বহুৱা হ'ল, আঠটা কাপোৰৰ কল আৰু তিনিটা তেলৰ কল গঢ়ি উঠিল। এটা ৰেলৰে লাইনো তৈয়াৰ হ'ল—এই লাইনটিয়ে এই দেশ-খনক উজবেকিস্তানৰ মাজেদি চোভিয়েট ইউনিয়নৰ ৰেলপথৰ লগত যুক্ত কৰি দিছে। এটি বিমান পথো খোলা হৈছে—পৃথিৱীৰ প্ৰধান প্ৰধান পথবোৰৰ লগত তাৰ সংযোগ স্থাপিত হৈছে।

১৯২৯ চনত এই দেশত এখন মাথোন ঔষধালয় আছিল। ১৯৩২ চনত আছিল ৬১ খন হাস্পাতল, আৰু ৩৭ খন দাঁতৰ চিকিৎসালয়, তাত ২১২৫জন ৰোগী ৰখাৰ ঠাই আছে। ২০ জন ডাক্তৰ আছে। শিক্ষাৰ প্ৰসাৰ কিমানখিনি হৈছে এই অঙ্কবোৰ দেখিয়েই বুজিব পাৰিবা।

১৯২৫ চনত : মাত্ৰ ৬ খন আধুনিক বিদ্যালয়।
১৯২৬ চনত : মাত্ৰ ১১৩ খন বিদ্যালয়, ২৩,০০ ছাত্ৰ।
১৯২৯ ,, : ৫০০ খন বিদ্যালয়।
১৯৩২ ,, : বিদ্যালয়ৰ সংখ্যা ২,০০০খনৰো অধিক, ছাত্ৰৰ সংখ্যা ১,২০,০০০ তকৈও বেছি।

শিক্ষাৰ কাৰণে যি টকা ব্যয় কৰা হৈছে, তাৰ অঙ্ক স্বভাৱতেই একেজাপে বহুখিনি বাঢ়ি গৈছে। ১৯২৯-৩০ চনত বিদ্যালয়বোৰৰ ব্যয় কৰা হৈছিল ৮০ লাখ ৰুবল, (এক ৰুবলৰ মূল্য হৈছে—প্ৰায় ২ চিলিং বা ১।/৬ পাই); ১৯৩০-৩১ চনৰ খৰচ হৈছে ৮০ লাখ ৰুবল। সাধাৰণ স্কুল কেৱল নহয়। কিণ্ডাৰ গাৰ্টেন, ট্ৰেইনিং স্কুল, পুথিভঁৰালো বহুত খোলা হৈছিল। ১৯৩২ চনত এওঁলোকৰ সংকল্প আছিল আৰু দুবছৰৰ ভিতৰতে দেশৰপৰা নিৰক্ষৰতা দূৰ কৰি পেলাব। জন-সাধাৰণৰ মনত জ্ঞান আৰু শিক্ষাৰ কাৰণে এটি প্ৰবৃত্তিৰ জাগৰণ দেখা গৈছিল।

য'ত এনে অৱস্থা, তাত ছোৱালীবোৰক আৰু পৰ্দাৰ আঁৰত ৰখা সম্ভৱ নহয়। পৰ্দা-প্ৰথা দ্ৰুত গতিত উচ্ছেদ হৈ গৈছিল।

এইবোৰ কথা শুনিলেও বিশ্বাস কৰিব টান লাগে। প্ৰগতিৰ এনে কাড়ৰ গতি ই কি সঁচাকৈয়ে হ'ব পাৰে। আৰু দেশখনতো তেনেকুৱাই—ইয়াৰ লোক সংখ্যা মাত্ৰ দহ লাখৰ অলপ বেছি. মানে কেৱল এলাহবাদ জিলাত যিমান মানুহ আছে তাতকৈও বহুত কম। এইবোৰ তথ্য আৰু অঙ্ক মই লৈছোঁ—এজন বিচ-ক্ষণ আমেৰিকান পৰ্যবেক্ষকে দিয়া বিৱৰণীৰপৰা। ১৯৩২ চনৰ প্ৰথমভাগত এওঁ তাজিকিস্তানলৈ গৈছিল। তাৰ পিছতো নিশ্চয় আৰু বহু পৰিবৰ্ত্তন তাত ঘটিছে।

এই নতুন আজিক প্ৰজাতন্ত্ৰক শিক্ষা আৰু আন আন প্ৰয়োজনীয় কথাৰ বাবে চোভিয়েট ইউনিয়নে টকা দি সহায় কৰিছে; কাৰণ ইউনিয়নৰ নীতিয়েই

হৈছে অনুন্নত অঞ্চলৰ উন্নতি সাধন, দেশখনত কিন্তু খনিজ সম্পদ বহুতো। সোণ, তেল, আৰু কয়লাৰ খনি ইয়াত পোৱা গৈছে, সেই সোণৰ উৎপাদনো বৰ ভাল বুলিও বহুতৰ ধাৰণা। পূৰণি কালত চেঙ্গিজখাৰ আমোললৈকে এই খনিবোৰৰ পৰা সোণ তোলা হৈছিল, কিন্তু তাৰ পিছত আজিলৈকে এইবোৰত কোনো কাম-কাজ হোৱা নাই বুলি মনে ধৰে।

১৯৩১ চনত তাজিকিস্তানত এটি প্ৰতি বিপ্লৱপন্থী বিদ্ৰোহ হয়। বেছি ধনী জমিদাৰ শ্ৰেণীৰ লোকসকল যিসকল দেশ এৰি আফগানিস্তানলৈ পলাই গৈছিল, তাৰো বহুতো এক হৈ দেশখনক আক্ৰমণ কৰে। কিন্তু সেই বিদ্ৰোহ নিজৰপৰাই ব্যৰ্থ হৈ গ'ল—কাৰণ কৃষকসকলে সেইটো সমৰ্থন নকৰিলে।

চিঠিখন বৰ বেছি দীঘলীয়া হৈ গৈছে, আৰু একেলগে বহুতো কথা ইয়াৰ মাজত সানি মোহাৰি সুমাই দিয়া হৈছে। তথাপি আৰু অলপ কথা মই ইয়াত লেখিম। এইবাৰ লেখিছোঁ আন্তৰ্জাতিক ৰাজনীতিৰ দৰবাৰত চোভিয়েট ইউ-নিয়নৰ ঠাই ক'ত? তোমাক কৈছিলোঁ চোভিয়েট চৰকাৰে কেলগ শান্তি চুক্তি স্বীকাৰ কৰি লৈছিল, এই চুক্তিৰদ্বাৰা যুদ্ধক বে-আইনী বুলি ঘোষণা কৰা হৈছিল। আকৌ ১৯২৯ চনত লিটভিনভ চুক্তি হ'ল, চোভিয়েট আৰু ইয়াৰ ওচৰ-পাজৰৰ দেশসমূহৰ ভিতৰত। শান্তি প্ৰতিষ্ঠাৰ কাৰণে ৰুচিয়া সঁচাকৈয়ে উদগ্ৰীৱ হৈ উঠি-ছিল— সেয়ে ইয়াৰ পিছত আকৌ ইয়াৰ প্ৰতিবেশী দেশবোৰৰ লগতো ই কিছুমান আক্ৰমণ বিৰোধী চুক্তি কৰিলে। ১৯৩২ চনত ফ্ৰান্সৰ লগত এনে ধৰণৰ এটি চুক্তি সম্পন্ন হ'ল। য়ুৰোপৰ ৰাজনীতিত এইটো এটা ডাঙৰ ঘটনা হ'ল। চোভিয়েট ,ইউনিয়নৰ ওচৰ-চুবুৰীয়া দেশসমূহৰ ভিতৰত বোধহয় জাপানেই আছিল একমাত্ৰ দেশ যি ইয়াৰ লগত কোনো ৰকমৰ এনে চুক্তি কৰিবলৈ অস্বীকাৰ কৰিলে। ১৯৩২ চনত নবেম্বৰ মাহত ফ্ৰান্সৰ লগত ৰুচিয়াৰ এটা যুদ্ধ-বিৰতি চুক্তি হ'ল। বিশ্ব ৰাজনীতিত এইটো হ'ল এটা ডাঙৰ ঘটনা, কাৰণ ইয়াৰদ্বাৰা ৰুচিয়াই পশ্চিম য়ুৰোপৰ ৰাজনৈতিক চক্ৰৰ মাজত প্ৰৱেশ কৰিলে।

চীনে দীৰ্ঘকাল ধৰি নিঃশব্দে ইয়াৰ শত্ৰুতা কৰিলে, ইয়াৰ লগত কোনো ৰকমৰ সম্পৰ্ক স্থাপন নকৰিলে। তাৰ পিছত আকৌ নতুন কৰি চোভিয়েট চৰকাৰক স্বীকাৰ কৰি ললে। এইটো কৰিলে জাপানৰ হেঁচাত পৰি; জাপানে যেতিয়া মাঞ্চুৰিয়াত ইয়াক মূলুকত পেলালে তেতিয়া। জাপানৰ লগত ৰুচিয়াৰ স্বাভাৱিক কূটনৈতিক সম্পৰ্ক অৱশ্যে আছে, কিন্তু দুয়ো দেশৰ মাজত আন্তৰিকতাৰ সম্ভাৱৰ অভাৱ। এচিয়াৰ মূল ভূ-খণ্ডত জাপানৰ প্ৰভুত্ব বিস্তাৰত চোভিয়েট ইউনিয়ন প্ৰধান অন্তৰায়স্বৰূপ আৰু প্ৰায়েই সীমান্তত সংঘৰ্ষ হৈ থাকে। জাপানে সকলো সময়তে চোভিয়েটক হানি-খুচি বিৰক্ত কৰি তুলিলে, আৰু প্ৰায়েই এই দুয়ো দেশৰ ভিতৰত যুদ্ধৰ কথা শুনা যায়। কিন্তু ৰুচিয়াই, আনকি অপমান সহ্য কৰিও—যুদ্ধত নামিবলৈ ইচ্ছা কৰা নাই।

ইংলেণ্ডৰ লগত ৰুচিয়াৰ বিৰোধিতা আন্তৰ্জাতিক ৰাজনীতি ক্ষেত্ৰত দৈনন্দিন ঘটনা হৈ পৰিছে। ১৯৩৩ চনৰ এপ্ৰিল মাহত মস্কোত কেইজনমান বৃটিছ ইঞ্জি-

নিয়াৰৰ বিচাৰ হয়—সেই উপলক্ষ্যে এওঁলোকৰ মাজত বিৰোধ বেছ্ ঘণীভূত হৈ পৰে। এওঁলোকে দুয়ো দুয়োকো আঘাত কৰিবলৈ উদ্যত হৈ আছিল; কিন্তু শেষত এই ধুমুহাৰ অৱসান হ'ল আৰু স্বাভাৱিক সম্পৰ্ক পুনৰ স্থাপিত হ'ল। কিন্তু বৃটেনৰ ৰক্ষণশীল চৰকাৰে চোভিয়েটক পছন্দ নকৰে আৰু তেওঁলোকৰ মাজত অৰিয়া-অৰি প্ৰায় লাগিয়েই আছে। আমেৰিকা যুক্তৰাজ্যৰ ৰুচিয়াৰ প্ৰতি মিত্ৰতাৰ ভাব বাঢ়ি যাব ধৰিছে আৰু ৰাষ্ট্ৰপতি ৰুজভেল্টে স্বাভাৱিক সম্পৰ্ক স্থাপন কৰিবলৈ উদ্যত হৈছে। পৃথিৱীৰ কতো আমেৰিকা ৰুচিয়াৰ মাজত বিৰোধ বা সংঘৰ্ষ হোৱা দেখা নাযায়।

ৰুচিয়াৰ এটি নতুন আৰু উদ্ধত শত্ৰু আবিৰ্ভাৱ হৈছে জাৰ্মাণীত—ইয়াৰ নাম হৈছে নাজী চৰকাৰ। এতিয়াও অৱশ্যে পোনপটীয়াভাৱে ৰুচিয়াক বিশেষ ক্ষতি কৰাৰ সামৰ্থ্য ইয়াৰ নাই; কিন্তু ভৱিষ্যতে ইয়াৰপৰা ভয় আছে। য়ুৰোপত ফেচিষ্ট নীতিৰ প্ৰচাৰ দিনে দিনে বাঢ়ি গৈছে।

আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত চোভিয়েট ৰুচিয়াই এনে আচৰণ দেখুৱাইছে যে যেন ই প্ৰকৃততে আত্মতৃপ্ত দেশ, কোনো ৰকমৰ হাই-কাজিয়াৰ মাজলৈ ই যাব নোখোজে, যি কৰিয়েই হওক শান্তিৰক্ষা কৰিব লাগিব। এইটো অৱশ্যে বিপ্লৱী নীতিৰ ঠিক বিপৰীত। বিপ্লৱীৰ নীতি হৈছে; আন আন দেশতো বিপ্লৱ ঘটোৱাৰ চেষ্টা কৰা। কিন্তু এইটো হৈছে ইয়াৰ এটি জাতীয় নীতি—এখন মাত্ৰ দেশত সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰা আৰু বাহিৰৰ সকলো বিৰোধ এৰি চলা। কিন্তু ইয়াৰ ফলত বাধ্য হৈ ই পুঁজিবাদী আৰু সাম্ৰাজ্যবাদী দেশসমূহৰ লগত আপোচ কৰি চলিব লগীয়া হৈছে। কিন্তু চোভিয়েট অৰ্থনৈতিক ব্যৱস্থাৰ যি মূলভেটি সাম্যবাদ সি ঠিকভাৱেই চলিছে, আৰু ইয়াৰ এই যে সফলতা এইটোৱেই হৈছে সাম্যবাদৰ পক্ষে সকলোতকৈ ডাঙৰ যুক্তি প্ৰদৰ্শন।

১৯৩৩ চনৰ জুলাই মাহত ৰুচিয়াৰ পৰিস্থিতি এনে আছিল। সেই সময়ত লণ্ডনত এখন নিখিল বিশ্ব অৰ্থনৈতিক সন্মিলন বহিছিল। পৃথিৱীৰ সকলো দেশৰে প্ৰতিনিধিসকল ইয়াত সমবেত হৈছিল, এই সুযোগতে চোভিয়েট ৰুচিয়াই নিজৰ কাম সম্পূৰ্ণ কৰি ললে; ওচৰ-চুবুৰীয়া দেশবোৰৰ লগত নিজে আকৌ এটি আক্ৰমণ নকৰা চুক্তি স্বাক্ষৰ কৰিলে। আফগানিস্তান, এষ্টোনিয়া, লাটভিয়া, পাৰস্য, পোলেণ্ড, ৰুমেনিয়া, তুৰস্ক আৰু লিথুনিয়াই এই চুক্তিপত্ৰত স্বাক্ষৰ কৰিলে। জাপানে এইবাৰো আগৰদৰে দূৰত আঁতৰি থাকিল।

১৮২

বিজ্ঞানৰ অগ্ৰগতি

১৩ জুলাই, ১৯৩৩

যুদ্ধৰ পিছত এই কেই বছৰ পৃথিৱীত যি ঘোৰ ৰাজনৈতিক ঘটনা ঘটিছে সেই সম্বন্ধে তোমাক বহুত কথাই কৈছোঁ—অৰ্থনৈতিক পৰিৱৰ্তন যি হৈছে তাৰো কথা অলপ লেখিছোঁ। এই চিঠিত তোমাক আন আন বিষয়ৰ কথা, বিশেষকৈ বিজ্ঞানৰ উন্নতি আৰু তাৰ ফলাফলৰ কথা।

কিন্তু বিজ্ঞানৰ কথ আৰম্ভ কৰাৰ আগতে, বিশ্ব যুদ্ধৰ পিছৰপৰা নাৰীসকলৰ অৱস্থাৰ যি বিৰাট পৰিৱৰ্তন হৈছে তাৰ কথা তোমাক আকৌ সোঁৱৰাই দিম। আইন, সমাজ আৰু প্ৰচলিত প্ৰথাৰ বন্ধনৰপৰা নাৰীসকলৰ এই তথাকথিত 'মুক্তি লাভ'ৰ আৰম্ভ হৈছিল উনৈশ শতিকাতে, ডাঙৰ ডাঙৰ শিল্পৰ জন্মৰ লগে লগে অত নাৰী শ্ৰমিকক নিযুক্ত কৰা হৈছিল। সেই বন্ধন মুক্তিৰ কাম ধীৰে ধীৰে আগবাঢ়িব ধৰিলে, তাৰ পিছত যুদ্ধৰ সময়ত অৱস্থাৰ হেঁচাত পৰি তাৰ গতি অতি বেগবান হ'ব ধৰিলে। এতিয়া যুদ্ধোত্তৰ যুগত সেইটো প্ৰায় সম্পূৰ্ণ হৈ আহিছে। আগৰ চিঠিত তোমাক তাজিকস্তানৰ কথা কৈছোঁ—তাতো এতিয়া নাৰীসকল চিকিৎসক হৈছে, শিক্ষয়িত্ৰী হৈছে, ইঞ্জিনিয়াৰ হৈছে,—মাত্ৰ কেইবছৰমানৰ আগলৈকে এওঁলোকে পৰ্দাৰ আঁৰত বাস কৰিছিল। তুমি আৰু তোমাৰ সমবয়সীয়াসকলে হয়তো এইটো এটা স্বাভাৱিক ঘটনা বুলিয়েই ধৰি লবা। অথচ এইটো আচলতে অতি অভিনৱ ঘটনা, কেৱল এচিয়াতে নহয়— য়ুৰোপতো। এশ বছৰৰ কম সময়ত আগৰ কথা, ১৮৪০ চনত লণ্ডনত 'পৃথিৱীৰ দাসত্ব বিৰোধী সংঘ'ৰ প্ৰথম অধিবেশন হয়। আমেৰিকাত তেতিয়া নিগ্ৰোসকলৰ দাসত্ব লৈ বহুলোক চঞ্চল হৈ উঠিছিল। আমেৰিকাৰ পৰা প্ৰতিনিধি স্বৰূপে কেইগৰাকীমান নাৰী এই অধিবেশনত যোগ দিবলৈ আহে। কিন্তু সন্মিলনৰ কৰ্তৃপক্ষই সেই নাৰী প্ৰতিনিধিসকলক তাত সোমাবলৈ নিদিলে। তেওঁলোকৰ যুক্তি হ'ল—কোনো নাৰীৰ পক্ষে এনে মুকলি সভাত যোগ দিয়া অতি অশোভন কথা, নাৰীত্বৰ অৱমাননা।

এইবাৰ বিজ্ঞানৰ কথা কোৱা যাওক। চোভিয়েট ৰুচিয়াৰ পাঁচ বছৰীয়া পৰিকল্পনাৰ আলোচনা প্ৰসঙ্গত মই তোমাক কৈছোঁ—তাত বিজ্ঞানৰ চেতনাক সামাজিক বিষয়ত প্ৰয়োগ কৰা হৈছিল। যোৱা ডেৰ শ বছৰ তাৰ ওচৰে-উচৰে সময়লৈকে এই চেতনাই পাশ্চাত্য সভ্যতাৰ পিছত কিছু পৰিমাণে আত্মপ্ৰকাশ কৰি

আহিছে,—অৱশ্যে আংশিকভাৱে মাত্ৰ বিজ্ঞানৰ প্ৰতিপত্তি যিমান বাঢ়িছে, অযুক্তি, অলৌকিক, আৰু কু-সংস্কাৰৰ ওপৰত ভেটি কৰি ৰচিত যিবোৰ মতামত আছিল, সেইবোৰো সিমানে বিলোপ হৈ আহিছে। বিজ্ঞান বিৰোধী ৰীতি-নীতি আৰু কাৰ্যক্ৰম যি আছিল সেইবোৰ সম্বন্ধে মানুহে বিদ্ৰোহ ঘোষণা কৰিছে। অযুক্তি, অলৌকিক, আৰু কুসংস্কাৰৰ বৈজ্ঞানিক চেতনাই একেবাৰে পৰাভূত কৰিছে বুলি অৱশ্যে কই কোৱা নাই। সেইদিন এতিয়াও বহুত দূৰত। কিন্তু বিজ্ঞানৰ যে জয় যাত্ৰা আৰম্ভ হৈছে, তাত কোনো সন্দেহ নাই। ঊনৈশ শতিকাতে তাৰ ডাঙৰ ডাঙৰ জয়লাভ আমি দেখিছোঁ।

শিল্প আৰু মানৱ জীৱনত বিজ্ঞানৰ প্ৰয়োগৰ ফলত ঊনৈশ শতিকাত কি ডাঙৰ ডাঙৰ পৰিবৰ্ত্তন আহিছিল, তাৰ কথা তোমাক আগতে কৈছোঁ। গোটেই পৃথিৱীৰ বিশেষকৈ পশ্চিম য়ুৰোপ আৰু উত্তৰ আমেৰিকাৰ ৰূপ এনেদৰে সলনি হ'ল যে দেখি চিনিবই নোৱাৰা হ'ল। ইয়াৰ আগতে হাজাৰ হাজাৰ বছৰত যিখিনি পৰিৱৰ্ত্তন এইবোৰত হৈছিল সিও ইয়াৰ তুলনাত একোৱেই নহয়। ঊনৈশ শতিকাত য়ুৰোপৰ জনসংখ্যা যি প্ৰবল হাৰত বাঢ়ি গ'ল—সেইটোৱেইতো এটা ডাঙৰ বিস্ময়ৰ ঘটনা। ১৮০০ চনত গোটেই য়ুৰোপৰ মুঠ লোকসংখ্যা আছিল ১৮ কোটি। লাহে লাহে বহুযুগ ধৰি সেই সংখ্যা এই অঙ্কত আহি থিয় দিলে। তাৰ পিছত হঠাৎ তীব্ৰ বেগে তাৰ পৰিমাণ বৃদ্ধি হ'বলৈ ধৰিলে—১৯১৪ চনত এই অঙ্ক হলগৈ ৪৬ কোটি। ঠিক এই সময়তেই আকৌ য়ুৰোপৰপৰা লাখ লাখ মানুহ আন আন মহাদেশলৈ বিশেষকৈ আমেৰিকালৈ গৈছিল, এওঁলোকৰ সংখ্যাও আমি ৪ কোটি বুলি ধৰিব পাৰোঁ। এতেকে দেখা গৈছে মাত্ৰ একশ বছৰতকৈ অলপ সময়ৰ ভিতৰতে য়ুৰোপৰ জনসংখ্যা ১৮ কোটিৰপৰা বাঢ়ি প্ৰায় ৫০ কোটি হৈছেগৈ। এই বৃদ্ধিও বিশেষকৈ দেখা গৈছিল য়ুৰোপৰ শিল্প প্ৰধান দেশ সমূহতেই। অষ্টাদশ শতিকাৰ আৰম্ভণিতে ইংলেণ্ডৰ লোকসংখ্যা আছিল সকলোতকৈ দৰিদ্ৰ দেশ। অথচ ইয়েই হৈ উঠিল পৃথিৱীৰ ভিতৰত সকলোতকৈ ধনী দেশ—ইয়াৰ লোক সংখ্যাও বাঢ়ি হ'লগৈ ৪ কোটি।

এই জনবৃদ্ধি আৰু ধন বৃদ্ধিৰ মূলতে আছিল প্ৰাকৃতিক প্ৰক্ৰিয়াৰ মানুহে নিজৰ ইচ্ছামতে চলোৱাৰ ক্ষমতাৰ ওপৰত, বৈজ্ঞানিক জ্ঞানৰ বহুতেই সেইটো সম্ভৱ হৈছিল। মানুহৰ জ্ঞান বহুতো বাঢ়ি গৈছিল; কিন্তু সেইবুলি নাভাবিবা যে জ্ঞান বঢ়াৰ লগে লগে মানুহৰ বিজ্ঞতাও বাঢ়ে। প্ৰাকৃতিক শক্তিবোৰক নিয়ন্ত্ৰিত কৰিব পৰা হল; ইয়াক নিজৰ কামত লগাব ধৰিলে, অথচ জীৱনত তেওঁলোকৰ লক্ষ্য কি, বা কি হোৱা উচিত, সেই সম্বন্ধে কোনো স্পষ্ট ধাৰণা তেতিয়া তেওঁলোকৰ নাই। বৰ বেগী এখন মটৰ গাড়ী বৰ কামৰ বস্তু, কামনাৰ বস্তু, কিন্তু সেই গাড়ীত উঠি কলৈ যোৱা হ'ব সেইটোওতো জনা উচিত। ঠিকমতে যদি চলাব নোৱাৰো ই হয়তো খালত জপিয়াই পৰিব। বৃটিছ এচোচিয়েচন অব চাইন্সৰ সভাপতিয়ে যোৱা বছৰ কৈছিল: "নিজক কিদৰে চলাব লাগে সেইটো জনাৰ আগতে প্ৰকৃতিক চলোৱাৰ ক্ষমতা মানুহৰ হাতত তুলি দিয়া হৈছে।"

বিজ্ঞানৰ সকলো সৃষ্টি—ৰেলৱে,এৰোপ্লেন, বিদ্যুৎ, বেতাৰ আৰু হাজাৰ হাজাৰ বস্তু আমি প্ৰায় সকলোৱেই ব্যৱহাৰ কৰোঁ। কিন্তু কিদৰে তাৰ সৃষ্টি হ'ল তাক

আমি এবাৰো ভাবি নাচাওঁ। সেইবোৰ আমি স্বাভাৱিক বস্তু বুলিয়েই ধৰি লওঁ—যেন আমি কোনো এটা জন্মগত দাবীৰ বলত এইবোৰ ব্যৱহাৰ কৰাৰ অধিকাৰী। আমি এটা বৰ উন্নত যুগত বাস কৰিছোঁ। আমি নিজেও কি ভীষণ 'উন্নত' এই কথা ভাবিও আমি গৌৰৱ অনুভৱ কৰোঁ। অতীতৰ সকলো যুগৰ তুলনাত আমাৰ যুগটো একেবাৰে বেলেগ ধৰণৰ, সেই বিষয়ে অকণো সন্দেহ নাই, সেই যুগৰ তুলনাত আজিৰ যুগটো বহুত বেছি উন্নত এই কথা কলে ভুল কোৱা নহব। কিন্তু সেইবুলি মানুহ বা দল হিচাপে আমি আগতকৈ বেছি উন্নত হৈছোঁ, এই কথা সঁচা নহবও পাৰে। ইঞ্জিন চালকে এটা ইঞ্জিন চলাব পাৰে, প্লেটো বা চক্ৰেটিচে নোৱাৰিছিল। এতেকে প্লেটো বা চক্ৰেটিচতকৈ এই ইঞ্জিন চালকজন এজন উন্নত আৰু চতুৰ লোক, এই কথা কলে বৰ মূৰ্খামি কৰা হ'ব। অথচ যান হিচাপে ইঞ্জিনটো প্লেটোৰ ৰথতকৈ বহুত বেছি উন্নত ধৰণৰ বস্তু—এইটোও বৰ সঁচা কথা।

আজি কালি আমি বহুতো কিতাপ পঢ়োঁ। মোৰ সন্দেহ হয় তাৰ বেছিভাগেই বেয়া পুথি। পুৰণি কালৰ লোকসকলে বৰ কম কিতাপ পঢ়িছিল, কিন্তু সেই পুথিবোৰ আছিল ভাল পুথি। তেওঁলোকে সেইবোৰ ভালকৈ পঢ়িছিলো। য়ুৰোপৰ সৰ্বশ্ৰেষ্ঠ দাৰ্শনিকসকলৰ মাজত এজন আছিল স্পিনোজা—বিদ্যা আৰু বিজ্ঞানৰ তেওঁ প্ৰতিমূৰ্তি। সপ্তদশ শতিকাৰ মানুহ—আমষ্টাৰডামত বসতি কৰিছিল। শুনা যায় তেওঁৰ গ্ৰন্থাগাৰত ষাঠিখনো কিতাপ নাছিল।

এতেকে এই কথাটো আমি জানি ৰখাটো উচিত হ'ব, পৃথিবীত মানুহৰ জ্ঞান বহুতো বাঢ়ি গৈছে বুলিয়েই যে আমিও মহৎ আৰু বিজ্ঞ হৈছোঁ তাৰ কোনো মানে নাই। সেই জ্ঞানক কি ভাবে ব্যৱহাৰ কৰা যায় সেইটোও আমি জানিব লাগিব, তেতিয়াহে আমি তাক সম্পূৰ্ণ কামত লগাব পাৰিম। গাড়ীখন আমাৰ ভাল, কিন্তু—সেই গাড়ীত উঠি আগুৱাই যোৱাৰ আগতে জানি লব লাগিব কলৈ আমি যাব বিচাৰিছোঁ। তাৰ মানে জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য কি হোৱা উচিত সেই সম্বন্ধে কিছু ধাৰণা আমাৰ থকা দৰকাৰ। আজি বহুত লোকৰেই সেই ধাৰণা অলপো নাই, নাই বুলি তেওঁলোকৰ কোনো দুশ্চিন্তাও দেখা নাযায়। বিজ্ঞানৰ যুগত তেওঁলোকে কাম কৰিছে, কিন্তু যিবোৰ ধাৰণা আৰু মতামত লৈ তেওঁলোকে কাম কৰে, সেইবোৰ অতি পুৰণি—পাৰ হৈ অহা যুগৰ বস্তু। তাৰ ফলত স্বভাৱতে কাজিয়া হয়—সংঘাতৰ সৃষ্টি হয়। বুধিয়ক বান্দৰে হয়তো গাড়ী চলাবলৈ শিকিব পাৰিব, কিন্তু সি চলোৱা গাড়ীত উঠি নিশ্চিন্ত থাকিব পৰা নাযায়।

আধুনিক যুগৰ বিজ্ঞান অতি কঠিন আৰু ব্যাপক বিষয়। হাজাৰ হাজাৰ গৱেষকে অনাতুৰে কাম কৰি আহিছে প্ৰত্যেকে তেওঁৰ নিজৰ বিভাগত নানা ধৰণৰ পৰীক্ষা চলাইছে। অলপ অলপ কৰি জ্ঞান আহৰণ কৰি জ্ঞানৰ প্ৰকাণ্ড পাহাৰৰ আৰু স্তৰ কৰি তুলিছে। জ্ঞানৰ ক্ষেত্ৰ ইমান বিশাল যে প্ৰত্যেক জন কৰ্মীয়েই তেওঁৰ নিজৰ বিষয়ে বাবেও একোজন বিশেষজ্ঞ হৈ লব লাগে। ফলত সমাজত দেখা যায়, জ্ঞানৰ আন আন বিভাগ সম্বন্ধে তেওঁৰ কোনো ধাৰণাই নাই; কোনো বিষয়ত হয়তো তেওঁৰ অসাধাৰণ বিদ্যা, অথচ আন বিভিন্ন বিষয়ত তেওঁৰ একেবাৰে

কোনো বিদ্যাই নাই। এই ক্ষেত্ৰত মানুহৰ কাৰ্য-কলাপৰ গোটেই ক্ষেত্ৰটিৰ সম্বন্ধে এটা বিস্তোচিত ধাৰণা কৰি লোৱা তেওঁৰ পক্ষে কঠিন হৈ উঠে। পুৰণি জগতত 'সভ্যতা' বা 'শিক্ষা' কথাটোৰ যি অৰ্থ আছিল, সেই অৰ্থত তেওঁ 'সভ্য' বা 'শিক্ষিত' মানুহ নহয়।

অৱশ্যে এনে মানুহো আছে যিসকল এই সংকীৰ্ণ বিশেষজ্ঞতাৰ ওপৰত উঠি গৈছে; তেওঁলোকে নিজেও বিশেষজ্ঞ পণ্ডিত, তথাপি এটি বৃহত্তৰ দৃষ্টিৰে জগতক চোৱাৰ শক্তি তেওঁলোকে ৰাখে। যুদ্ধৰ বিশৃংখলা, বা মানৱ সুলভ বাধা-বিঘিনি, সকলোকে অগ্ৰাহ্য কৰি এওঁলোকে এওঁলোকৰ বৈজ্ঞানিক গবেষণা চলাই গৈছে। যোৱা পোন্ধৰ বছৰ বা এই সময়ৰ ভিতৰতে মানুহৰ জ্ঞানৰ ভাণ্ডাৰত অপূৰ্ব সকলো বস্তু এওঁলোকে উপহাৰ দিছে। এই যুগৰ সকলোতকৈ ডাঙৰ বৈজ্ঞানিক বোলা হয়—এলবাৰ্ট আইনষ্টাইনক। এওঁ এজন জাৰ্মাণ ইহুদী, নতুনকৈ হোৱা হিটলাৰৰ চৰকাৰে সম্প্ৰতি এওঁক জাৰ্মাণীৰপৰা খেদি দিছে; কাৰণ এওঁলোকে ইহুদীৰ প্ৰতি প্ৰসন্ন নহয়।

আইনষ্টাইনে গণিত শাস্ত্ৰৰ সূক্ষ্ম হিচাব কৰি পদাৰ্থ বিদ্যাৰ নতুন কিছুমান মৌলিক সূত্ৰ আৱিষ্কাৰ কৰিছে; যাৰ প্ৰভাৱ গোটেই বিশ্বৰ ওপৰত পৰিছে। দুশ বছৰ ধৰি নিউটনৰ সূত্ৰবোৰ আমি বিনাসঙ্কোচে সত্য বুলি স্বীকাৰ কৰি আহিছো। আইনষ্টাইনৰ আৱিষ্কাৰত তাৰো কিছু ব্যতিক্ৰম ঘটিল। আইনষ্টাইনৰ এই সিদ্ধান্ত সত্য প্ৰমাণিত হৈছে; এটা অতি আচৰিত উপায়েৰে। তেওঁৰ সিদ্ধান্ত হ'ল পোহৰৰ বিকিৰণৰ এটি বিশেষ ৰীতি আছে; সেইটোৰ সত্যতা পৰীক্ষা কৰা হয় সূৰ্য গ্ৰহণৰ সময়ত। তাৰ পিছত যেতিয়া এবাৰ সূৰ্য গ্ৰহণ হ'ল, দেখা গ'ল সঁচাকৈয়ে পোহৰৰ ৰেখাবোৰ সেইভাৱেই আহিছে। অঙ্ক কৰি যি সিদ্ধান্ত আইনষ্টাইনে স্থিৰ কৰিছিল, সেইটো প্ৰমাণ হল বাস্তৱ পৰীক্ষাৰ যোগেদি।

আইনষ্টাইনৰ এই সিদ্ধান্তটো কি, সেইটো মই তোমাক বুজাবলৈ চেষ্টা নকৰোঁ। বিষয়টো বৰ জটিল, আৰু এই সম্বন্ধে মোৰ ধাৰণাও সিমান স্পষ্ট নহয়। ইয়াৰ নাম হৈছে 'আপেক্ষিক তত্ত্ব।' বিশ্বজগতৰ স্বৰূপ বিশ্লেষণ কৰিবলৈ গৈ আইন-ষ্টাইনে দেখিলে কাল আৰু স্থান বুলি আমাৰ যি ধাৰণা আছে তাক বেলেগ বেলেগ কৰি প্ৰয়োগ কৰাটো সম্ভৱ নহয়। এতেকে তেওঁ এই দুই ধাৰণাকেই বাতিল কৰিলে—আৰু এটি নতুন তত্ত্ব প্ৰচাৰ কৰিলে. ইয়াৰ ভিতৰত স্থান আৰু কাল দুয়োটাকে তেওঁ একেলগে সাঙুৰি দিলে। এইটোৱেই হ'ল তেওঁ আৱিষ্কাৰ কৰা 'স্থান কালৰ তত্ত্ব।'

আইনষ্টাইনৰ গৱেষণা আছিল গোটেই বিশ্বজগতক লৈ। আন কাষে আছে অন্য বৈজ্ঞানিক সকল, এওঁলোকে ক্ষুদ্ৰাতি ক্ষুদ্ৰ বস্তুলৈ গৱেষণা চলাইছে। ধৰা এটি আলপিনৰ—ইমান সৰু বস্তু যে চকুৰে তাক প্ৰায় দেখাই নাযায়। বৈজ্ঞা-নিক পৰীক্ষাৰ দ্বাৰা এওঁলোকে প্ৰমাণ কৰিলে এই পিনৰ আগটিও একালৰপৰা এখন ডাঙৰ বিশ্বজগতৰ ভিতৰৰ। ইয়াৰ মাজত আছে অসংখ্য অণু, সেইবোৰে ইটোৱে সিটোক আগুৰি ঘূৰি ফুৰিছে; এতেকে অণুৰ মাজত আকৌ বহুতো পৰমাণু; সেইবোৰেও ইটোৱে সিটোক আগুৰি ঘূৰি ফুৰিছে, অথচ কোনেও কাকো

স্পৰ্শ কৰা নাই। একো একোটা পৰমাণুৰ মাজত, বহুতো বিদ্যুতৰ খণ্ড বা চাৰ্জ বা যি বুলি কোৱা এইবোৰৰ নাম প্ৰোটন আৰু ইলেক্ট্ৰন, এইবোৰো সকলো সময়তে বৰ জোৰেৰে ঘূৰি ফুৰিছে। এই বোৰৰ মাজতো আকৌ সৰু অংশ আছে, পজিট্ৰন, নিউট্ৰন, ডেণ্টন, হিচাব কৰি দেখা গৈছে, একোটা পজিট্ৰনৰ আয়ু সীমা হৈছে চেকেণ্ডৰ প্ৰায় এশ কোটি ভাগৰ এভাগ। এই গোটেই ঘটনাটো হৈছে, শূন্যতে যেনেকৈ গ্ৰহ-নক্ষত্ৰবোৰ পাক খাই ঘূৰি ফুৰিছে, ঠিক তেনেকুৱা কথা—অৱশ্যে বহুতো সৰু ঠাইৰ ভিতৰত। মনত ৰাখিবা, অণু বস্তুটোৱেই ইমান সৰু যে সকলোতকৈ শক্তিশালী, অণুবীক্ষণ যন্ত্ৰ দিও ইয়াক দেখা নাযায়। আৰু পৰমাণু প্ৰোটন, ইলেক্ট্ৰন আদিৰ কথা কল্পনা কৰাই টান কথা। কিন্তু বৈজ্ঞানিক প্ৰক্ৰিয়া ইমানদূৰ উন্নত এতিয়া হৈছে এই প্ৰোটন, ইলেক্ট্ৰন, বোৰৰ সম্বন্ধেও বহুতো তত্ত্ব আমি জানিব পাৰিছোঁ। সম্প্ৰতি পৰমাণুকো ভাঙি সৰু সৰু খণ্ড কৰা হৈছে।

বিজ্ঞানৰ যিবোৰ তত্ত্ব এতিয়া বাহিৰ হৈছে, তাৰ কথা ভাবিলেই মূৰ ঘূৰাই যায়। তাৰ মূল্য নিৰূপণ কৰাটো বৰ কঠিন কাম। ইয়াতকৈও আচৰিত কথা কিছুমান তোমাক এতিয়া কম। আমি জানো, আমাৰ এই পৃথিৱীখন আমি ইমান ডাঙৰ বুলি ভাবো অথচ ইও সূৰ্য্যৰ এটা সৰু গ্ৰহ মাত্ৰ, সেই সূৰ্য নিজে ই আকৌ এটা অতি মান মৰ্যাদাহীন সৰু নক্ষত্ৰ। গোটেই সৌৰজগতখনেই হৈছে স্থান-মহা-সমুদ্ৰত এটি পানীৰ টোপাল মাত্ৰ। নিখিল বিশ্বৰ এঠাইৰপৰা আৰু আন ঠাইলৈ দূৰত্ব ইমান বেছি যে, ইয়াৰ কোনো ঠাইৰপৰা আমাৰ এইখিনি আহি পাবলৈ পোহ-ৰৰো হাজাৰ হাজাৰ লাখ লাখ বছৰ লাগে। ৰাতি যেতিয়া এটা তৰা দেখো কাক দেখো জানা? এই মুহূৰ্ত্তত তৰাটোৰ যি ৰূপ আছে সেইটো নহয়। দেখোঁ, ইয়াৰ যি পোহৰ ৰশ্মিখিনি আমাৰ ওচৰ পাইছেহি—ই যেতিয়া সেই তৰাটো এৰি আমাৰ ফালে যাত্ৰা কৰিছিল, সেই সময়ত তৰাটিৰ যি ৰূপ আছিল সেইটো। অতি দীঘলীয়া ইয়াৰ যাত্ৰাৰপৰা সেই পথ অতিক্ৰম কৰি আহোঁতে তাৰ শ শ হাজাৰ হাজাৰ বছৰ লাগিছে। স্থান আৰু কাল সম্বন্ধে আমাৰ যি ধাৰণা আছে তাৰে ইয়াক বুজিব পৰা নাযায়। সেই কাৰণেই আইনষ্টাইনৰ স্থান কালৰ তত্ত্বৰে এই-বোৰ বুজিবলৈ বেছি সহজ। স্থানক বাদদি যদি কালৰ কথা ভাবোঁ, তেন্তে অতীত আৰু বৰ্ত্তমানৰ ভিতৰত গণ্ডগোল হৈ যাব। যি তৰাটো আমি এই মুহূৰ্ত্তত দেখিছো আমাৰ ওচৰত বিদ্যমান, অথচ আচলতে আমি দেখিছো তাৰ অতীত ৰূপটো। কোনে জানে হয়তোবা তাৰ অস্তিত্বই বহুকাল আগতে লোপ হৈ গৈছে, তাৰ সেই পোহৰৰ ৰশ্মিখিনিয়ে যাত্ৰা আৰম্ভ কৰাৰ পিছৰ কোনো এসময়ত।

আমাৰ সূৰ্যটো এটি তেনেই সাধাৰণ সৰু নক্ষত্ৰ বুলি আগতে কৈছোঁ। এই ধৰণৰ আৰু প্ৰায় এক লাখ নক্ষত্ৰ আছে, এইবোৰ সকলোকে লৈ গঠিত হৈছে এটি নক্ষত্ৰ মালা বা নক্ষত্ৰ পুঞ্জ। আমি ৰাতি যি তৰাবোৰ দেখো সেইবোৰ প্ৰায়সকলো-টিৱেই এই নক্ষত্ৰপুঞ্জৰ ভিতৰত। কিন্তু সুদা চকুৰে আমি এই তৰাবোৰৰ অলপ কেইটামানহে দেখো! শক্তিশালী দূৰবীক্ষণেৰে, তেওঁলোকে হিচাব কৰি পাইছে—বিশ্বজগতত এনে ধৰণৰ নক্ষত্ৰ পুঞ্জ আদি মুঠতে প্ৰায় এক লাখ।

আৰু এটা বিস্ময়কৰ কথা কৈছোঁ। বৈজ্ঞানিক সকলে কয়—এই বিশ্বজগতৰ আয়তন ক্ৰমে বাঢ়িব ধৰিছে। গণিতশাস্ত্ৰবিদ,—চাৰ জেমচ্ জীনচে ইয়াক তুলনা কৰিছে এটা চাবোনৰ বুৰবুৰণিৰ লগত, দিনে দিনে যি ডাঙৰ হ'ব ধৰিছে, এই বিশ্বজগত সেই বুৰবুৰণিৰ বাহিৰ আৱৰণ। এই বুৰবুৰণিৰ আকৃতিৰ বিশ্বজগতৰ আয়তন ইমান ডাঙৰ যে ইয়াৰ এক প্ৰান্তৰপৰা অন্য প্ৰান্তলৈ যাবলৈ পোহৰবো লাখ লাখ বছৰ লাগে।

তোমাক আৰু এটা আচৰিত কথা কওঁ শুনা। কেম্ব্ৰিজত এজন বিখ্যাত জ্যোতিৰ্বিদ আছে তেওঁৰ নাম চাৰ আৰ্থাৰ এডিংটন। তেওঁ কয় আমাৰ এই বিশ্ব-জগত ক্ৰমে ভাঙি টুকুৰা টুকুৰ হৈ যাব ঠিক চাবি শেষ হোৱা ঘৰীৰ দৰে। আকৌ যদি কোনো প্ৰকাৰে ইয়াক চাবি দি দিয়া নাযায় তেনেহলে এদিন একেবাৰে ছিন্ন বিচ্ছিন্ন হৈ যাব। অৱশ্যে এইবোৰ কাণ্ড ঘটিবলৈ লাখ লাখ বছৰ লাগিব, এতেকে এতিয়ালৈ আমাৰ ভয় কৰিব লগীয়া একো নাই।

ঊনৈশ শতিকাত সকলোতকৈ ডাঙৰ বিজ্ঞান আছিল পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন। এইবোৰৰ সহায়ত মানুহে প্ৰাকৃতিক শক্তিক বা বাহিৰৰ জগতক নিজৰ ইচ্ছামতে চলাব পাৰিছিল। তাৰ পিছত বিজ্ঞানৰ ভক্ত সকলে ভিতৰৰ ফালে চকু দিলে, নিজকে বিশ্লেষণ কৰি চাবলৈ ধৰিলে। জীৱ বিদ্যাৰ আদৰ বাঢ়িল; এইটো হৈছে মানুহ, জীৱ-জন্তু, গছ-গছনিৰ মাজত জীৱন কিভাবে থাকে তাৰ বিদ্যা। ইতিমধ্যে ইয়াৰ আচৰিত ধৰণে উন্নতি হৈছে, জীৱ-তত্ত্ববিদসকলে কৈছে আৰু অলপ দিনৰ ভিতৰতে ইনজেকচন দি বা আন উপায়েৰে মানুহৰ চৰিত্ৰ সলনি কৰি দিয়া সম্ভৱ হ'ব। হয়তো তেতিয়া কাপুৰুষক সাহসী বীৰত পৰিণত কৰিব পৰা যাব, বা হয়তো তেতিয়া চৰকাৰে তেওঁলোকক যি সকলে সমালোচনা কৰিছে, তেওঁলোকক ধৰি ধৰি ইনজেকচন দিব—চৰকাৰী কামত বাধা দিয়াৰ শক্তিটো তেওঁলোকৰ কমাই দিব—এই হোৱাই বেছি সম্ভৱ—কি কোৱা?

জীৱ বিদ্যাৰ পিছৰ স্তৰেই হৈছে মনস্তত্ত্ব বিদ্যা। ইয়াৰ বিষয়-বস্তু হৈছে মানুহৰ মন। মানুহৰ চিন্তা, অভিপ্ৰায়, ভয় আৰু কামনা বাসনা লৈ। বিজ্ঞানৰ অভিযান এইদৰে নিত্য নতুন ক্ষেত্ৰত বিয়পিছে, আমাৰ নিজৰ সম্বন্ধে লাহে লাহে বেছি কথা জানিবৰ সুবিধা কৰি দিছে; হয়তো এইদৰে আমি নিজকে নিয়ন্ত্ৰণ কৰাৰ শক্তি যোগাইছে। প্ৰজনন বিদ্যাও জীৱবিদ্যাৰ ঠিক পিছৰ স্তৰ। এইটো হৈছে জাতিৰ উন্নতি বিধানৰ বিজ্ঞাপন। বিশেষ কিছুমান জীৱক বিশ্লে-ষণ কৰি, বিজ্ঞানৰ কিমান উন্নতি সাধন কৰা হৈছে সেইটো এটা আচৰিত কথা। বেং কাটি চোৱা হৈছে, জীৱৰ দেহত স্নায়ু আৰু পেশীবোৰে কিদৰে কাম কৰে। বেছি পকা কলৰ ওপৰত সৰু এবিধ মাখি পৰে তাৰ নামেই হৈছে কলৰ মাখি, এইবোৰৰ বিশ্লেষণ কৰি, বংশানুক্ৰম সম্বন্ধে যিমান কথা জানিব পৰা গৈছে, এনে আৰু ক'তো পৰা হোৱা নাই। এই মাখিৰ খুব ভাল কৰি পৰীক্ষা কৰি চাই দেখা গৈছে, কি ভাবেৰে এক পুৰুষৰ দোষ গুণ বংশানুক্ৰমে পিছৰ পুৰুষতো প্ৰকাশ পায়। ইয়াৰপৰাই মানুহ জাতিৰ ভিতৰতো পুৰুষানুক্ৰম গতি নিৰ্ণয় কৰা বহু-খিনি সহজ হৈছে।

ইয়াতকৈও অদ্ভুত এটা জীৱৰপৰা আমি বহুখিনি জ্ঞান লাভ কৰিছোঁ—সেইটো হৈছে সাধাৰণ কুকুৰ। আমেৰিকাৰ বৈজ্ঞানিক সকলে বহুদিন ধৰি আৰু অতি যত্নেৰে কৰিওঁৰ গতিবিধি লক্ষ্য কৰাৰ ফলত জানিব পাৰিছে জীৱ-জন্তুবোৰৰ ভিতৰত আৰু মানুহৰ ভিতৰতো মতা-তিৰোতাৰ প্ৰভেদ কিভাৱে নিৰ্ণয় কৰা যায়; জীৱনৰ একেবাৰে আদিৰপৰাই ক্ষুদ্ৰ প্ৰাণ কি ভাবে পুৰুষ বা তিৰোতাৰ ৰূপত পৰিণত হয়, লাহে লাহে পৰিণত হয় ক্ষুদ্ৰ এটি তিৰোতা বা পুৰুষ জীৱত—ক্ষুদ্ৰ এটি বালক বা বালিকাত—তাৰ বিষয়ে আমি এতিয়া বহুত কথাই জানিছোঁ।

এই ধৰণৰ আৰু এটি জীৱ আমাৰ পোহনীয়া কুকুৰ। ৰুচিয়াৰ এজন বিখ্যাত বৈজ্ঞানিক আছে পাভ্লভ্—এতিয়া তেওঁৰ বয়স চাৰি কুৰি চাৰি বছৰ। তথাপি তেওঁ এতিয়াও তেওঁৰ গৱেষণা চলাই আছে। তেওঁ বৰ যত্নেৰে কুকুৰবোৰৰ ভাব ভঙ্গি পৰ্যবেক্ষণ কৰিব ধৰিলে, বিশেষকৈ লক্ষ্য কৰিলে—খাদ্য দেখিলে সিহঁতৰ মুখৰপৰা কেনেকৈ লেলাৰতি পৰে। কুকুৰৰ লেলাৰতিৰ ওজন পৰ্যন্তও তেওঁ জুখি চালে। খাদ্য দেখিলে কুকুৰৰ এই জিভাৰ পানী পৰা এটা আপোনা আপুনি হোৱা ঘটনা যাক কয় এটি নিৰপেক্ষ প্ৰতিক্ৰিয়া (unconditioned reflex) ঠিক যেনেকৈ সৰু ল'ৰা-ছোৱালীয়ে হাঁহি, বা চিঞৰে বা ইকাটি সিকাটি হয়—তাৰ কাৰণে—আগৰপৰা শিকাৰ কোনো প্ৰয়োজন নাই। আগৰ অভিজ্ঞতা নাথাকিলেও ইয়াত কোনো বাধা নাপায়।

ইয়াৰ পিছত পাভ্লভে আপেক্ষিক প্ৰতিক্ৰিয়া জন্মাবলৈ চেষ্টা কৰিলে। তাৰ মানে কুকুৰক তেওঁ শিকালে বিশেষ এটি সঙ্কেত দিলেই ই খাদ্য আশা কৰিব পাৰে। ইয়াৰ ফলত সেই সঙ্কেতে কুকুৰৰ মনত খাদ্যৰ কথা জগাই দিবলৈ ধৰিলে, খাদ্য ওচৰত নাই কিন্তু কেৱল সংকেত শুনিয়েই কুকুৰৰ মুখত লেলাৰতি বৰ ধৰিলে—যেন সঁচাকৈয়ে খাদ্য বস্তু আগতহে আছে।

কুকুৰ আৰু তাৰ লেলাৰতি লৈ এই গৱেষণাক ভিত্তি কৰিয়েই মনস্তত্ত্বৰ ব্যাখ্যা কৰা সম্ভৱ হৈছে। পৰীক্ষা কৰি দেখা গৈছে অতি কেচুৱাতে মানুহৰ ভিতৰত কিছুমান নিৰপেক্ষ প্ৰতিক্ৰিয়া থাকে; তাৰ পিছত ডাঙৰ হোৱাৰ লগে লগেই ক্ৰমে বেছি কৰি আপেক্ষিক প্ৰতিক্ৰিয়া তাৰ ভিতৰত জন্মে। প্ৰকৃততে আমি যি কিবা শিকো, সকলো এই ভাবেই শিকো। এই ভাবেই আমাৰ সকলো অভ্যাস গঢ়ি উঠে, এই ভাবেই আমি ভাষা শিকো। আমাৰ কাৰ্যকলাপ নিয়ন্ত্ৰিত হয় আমাৰ প্ৰতিক্ৰিয়াৰ দ্বাৰা সেইটো অৱশ্যে মিঠা বা তিতা দুয়ো ৰকমেৰেই হয়। যেনে মানুহৰ এটা সাধাৰণ প্ৰতিক্ৰিয়া আছে—ভয়। ভয়ৰ কাৰণত সাপ দেখিলে, সাপৰ দৰে এডাল জৰি দেখিলেও, আমি একো নভবাকৈয়ে জাপ মাৰি আঁতৰি যাওঁ—তাৰ বাবে পাভলভৰ গৱেষণাৰ তত্ত্বৰ আমাৰ কোনো প্ৰয়োজন নাই।

পাভলভৰ গৱেষণাই মনস্তত্ত্ব বিজ্ঞানৰ সকলোতে এটি বিপ্লৱ ঘটাইছে। তেওঁৰ কিছুমান গৱেষণা বৰ মনোমুগ্ধকৰ, কিন্তু এইবোৰ লৈ ইয়াত আৰু আলোচনা কৰা নহল। তথাপি এটা কথা কওঁ—মনস্তত্ত্ব সম্বন্ধে তত্ত্ব অন্বেষণত ইয়াৰ উপৰিও আৰু কিছুমান ভাল নিয়ম আছে।

তোমাক ইয়াৰ কেইটামান উদাহৰণ দিলো—যেন ইয়াৰপৰা তুমি অলপ ধাৰণা কৰিব পাৰা বিজ্ঞানৰ কাম কিদৰে চলে। আগৰ দিনত দাৰ্শনিক সকলৰ ৰীতি আছিল ডাঙৰ ডাঙৰ সকলো বিষয় লৈ অস্পষ্ট কথা কৈ যোৱা-অথচ সেই বিষয়ে সম্পূৰ্ণ বিশ্লেষণ কৰা বা উপলব্ধি কৰা সহজ নহয়—হয়তোবা সম্ভৱেই নহয়। এওঁলোকৰ কথা লৈ যোৱা—অথচ সেই বিষয়ে সম্পূণ বিশ্লেষণ কৰা বা উপলব্ধি কৰা সহজ নহয়—হয়তোবা সম্ভৱেই নহয়। এওঁলোকৰ কথা লৈ মানুহে কেৱল তৰ্কৰ পিছত তৰ্ক কৰিছিল, তৰ্ক কৰি কৰি ভয়ানক ভাবে উত্তেজিত হৈ উঠিছিল; কিন্তু তেওঁলোকৰ সেই তৰ্কৰ সঁচা মিছাৰ বিচাৰ কৰাৰ কোনো উপায় নাছিল, এতেকে শেষলৈ বিষয়টো স্বৰ্গতো নহয় মৰ্ত্ত্যতো নহয়—শূন্যত ওলমি থাকে, বিষয়টোৰ কোনো মীমাংসাই নহয়। পৰলোক সম্বন্ধে যুক্তিৰ জাল বিস্তাৰ কৰাতেই এওঁলোক ইমান ব্যস্ত হৈ থাকে যে-এই পৃথিৱীত বিবোৰ সাধাৰণ বস্তু আছে তালৈ উভতি চাবলৈকো এওঁলোকে লাজ পাইছিল, কিন্তু বিজ্ঞানৰ ৰীতি ঠিক ইয়াৰ বিপৰীত। অতি সামান্য, অলাগতীয়াল কথা বুলি বিবোৰ ভবা হয়—বৈজ্ঞানিক সকলে তাকেই বৰ যত্নেৰে পৰ্যবেক্ষণ কৰে, তাৰপৰাই বৰ ডাঙৰ ডাঙৰ তথ্যৰ সন্ধান পোৱা যায়। তাৰ পিছত সেইবোৰ তথ্যৰ ভেটিতে এওঁলোকে সূত্ৰ ৰচনা কৰে। সেই সূত্ৰক আকৌ নতুনকৈ পৰ্যবেক্ষণ আৰু পৰীক্ষা কৰি চোৱা হয়।

মই অৱশ্যে নকওঁ যে বিজ্ঞানে কেতিয়াও ভুল নকৰে। ভুল ই বহুতো কৰে। তেতিয়া আকৌ ঘূৰিলে উভতি যাবলগীয়া হয়। আকৌ ঘূৰিৰপৰা আৰম্ভ কৰে। কিন্তু তথাপি কোনো প্ৰশ্নক বিচাৰ কৰিবলগীয়া হলে বৈজ্ঞানিক পন্থাই হৈছে একমাত্ৰ নিৰ্ভুল পথ। ঊনৈশ শতিকাৰ বিজ্ঞানত অহং ভাব সোমাই-ছিল— নিজকে ই সম্পূৰ্ণ বুলি ভাবিছিল, এতিয়া ইয়াৰ এই অহঙ্কাৰ একেবাৰে নাই। যিমান সিদ্ধি লাভ কৰিছে তাৰ বাবে ই গৌৰৱ অনুভৱ কৰে। কিন্তু জ্ঞানৰ যি বিশাল সমুদ্ৰ তালৈ চাই ই সসম্ভ্ৰমে শিৰ দোৱাইছে। জ্ঞানী সকলে জানে তেওঁৰ জ্ঞান কিমান কম, মূৰ্খই ভাবে তেওঁৰ নজনা একোৱেই নাই। বিজ্ঞানৰ অৱস্থাও সেয়ে। ই বিমানে আগুৱাই গৈছে, ইয়াৰ আৰু বিগোজ মনোভাৱো সিমান কমি আহিছে। ইয়াক প্ৰশ্ন কৰিলে তাৰ উত্তৰ দিবলৈ ই সিমানেই সঙ্কোচ কৰে। এডিং-টনে কৈছে—"বিজ্ঞানৰ প্ৰগতি কিমান দূৰ হ'ল সেইটো জুখিব লাগিব, কিমান প্ৰশ্নৰ উত্তৰ আমি দিব পাৰিছোঁ। তাৰে নহয় —কিমান প্ৰশ্ন আমি কৰিব পাৰিছোঁ তাৰেহে। হয়তো সেয়ে। তথাপি বিজ্ঞানে এতিয়া লাহে লাহে বেছিকৈ প্ৰশ্নৰ উত্তৰ দিব পাৰিছে। জীৱনৰ স্বৰূপ আমাক বুজাই দিছে, যথাযোগ্য লক্ষ্যৰ ফালে পৰিচালিত এটি মহৎ জীৱন যাপন কৰিবলৈ আমি বিচাৰো যে সিবি চাৰো কোনে জানে। অবুজি আৰু অস্পষ্ট জটিলতা লৈ বিজ্ঞানৰ কোনো কাম নাই। ই জীৱনৰ অন্ধকাৰ কোণবোৰকো পোহৰেৰে উদ্ভাসিত কৰে, মনাতম সত্যৰ সন্মুখত আমাক থিয় কৰাই দিয়ে।

১৮৩

বিজ্ঞানৰ সদ্ব্যৱহাৰ আৰু অপব্যৱহাৰ

১৪ জুলাই, ১৯৩৩

বিজ্ঞানৰ আধুনিকতম আৱিষ্কাৰবোৰৰ ফলত যি আশ্চৰ্য জগতৰ দুৱাৰ আমাৰ সন্মুখত মুকলি হৈছে তাৰ কিছু আভাস তোমাক মই আগৰ চিঠিতে দিছোঁ। নাজানো সেইখিনি জনাৰ পিছত তোমাৰ মনত কৌতূহল জাগিছে নে নাই— চিন্তা আৰু কাৰ্যৰ সেই ৰাজ্যৰ ফালে তুমি আকৃষ্ট হোৱা নে নোহোৱা। এইবোৰ বিস্ময়ৰ বিষয়ে যদি আৰু জানিব বিচাৰা কিতাপ পঢ়ি সহজেই পাৰিবা, এই সম্বন্ধে কিতাপৰ অভাৱ নাই। কিন্তু এটা কথা মনত ৰাখিবা, মানুহৰ চিন্তা আৰু জ্ঞান প্ৰতি মুহূৰ্ততে আগুৱাই গৈছে, প্ৰকৃতি আৰু বিশ্ব জগতৰ সমস্যাবোৰকলৈ সদায়েই চালিজাৰি চোৱা হৈছে, বুজিবলৈ চেষ্টা কৰা হৈছে। আজি তোমাক যি কৈছোঁ কালিলৈ হয়তো সেইটো একেবাৰে পুৰণি বুলি প্ৰমাণ হৈ যাব। মানুহৰ মনে বিশ্ব প্ৰকৃতিক সন্মুখ সমৰলৈ আহ্বান কৰি ফুৰিছে বিশ্বজগতৰ সুদূৰ কোণলৈকো ই উৰি গৈ তাৰ ৰহস্যবোৰ উদ্ঘাটন কৰিবলৈ চেষ্টা কৰিছে। সাধাৰণ চকুত যিটো বস্তু সীমাহীনভাৱে ডাঙৰ অথবা সীমাহীনভাৱে সৰু তাকো আয়ত্তলৈ আনি জুখি চাবলৈ সাহ কৰে। মানৱ মনৰ এই বীৰত্বৰ কথা যেতিয়া ভাবো— মই অতিশয় মুগ্ধ হৈ পৰোঁ।

এইবোৰেই হৈছে, যাক কয় ‘প্ৰকৃত’ বিজ্ঞান অৰ্থাৎ এনে বিজ্ঞান, পৃথিৱীৰ জীৱনৰ ওপৰত যাৰ কোনো প্ৰত্যক্ষ প্ৰভাৱ নাই, আপেক্ষিক তত্ত্ব বা কালৰ পৰিমাণ বা বিশ্বজগতৰ আয়তন আদিৰ আমাৰ দৈনন্দিন জীৱনৰ লগত যে কোনো সম্পৰ্ক নাই, এইটো সহজেই বুজিব পাৰি। এই সিদ্ধান্তবোৰৰ বেছি ভাগেই আছে উচ্চ গণিতৰ ওপৰত, গণিতৰ সেই জটিল আৰু উচ্চতৰ অধ্যায়বোৰ এই অৰ্থত প্ৰকৃত বিজ্ঞানৰ অন্তৰ্গত। বেছিভাগ মানুহেই এই বিধৰ বিজ্ঞানলৈ মূৰ নঘমাই দৈনন্দিন জীৱনত বিজ্ঞানৰ যি প্ৰয়োগ কৰা হয় বা দেখা যায় স্বভাৱতে তাৰ ফালেই এওঁলোক বেছি আকৃষ্ট হয় এই বিজ্ঞানে যোৱা ডেৰশ বছৰ ধৰি মানুহৰ জীৱন যাত্ৰাত এটি বিপ্লৱিক পৰিৱৰ্তন আনি দিছে, আচলতে আজিৰ দিনত মানুহৰ জীৱনটোৱেই সম্পূৰ্ণৰূপে পৰিচালিত আৰু নিয়ন্ত্ৰিত হৈছে বিজ্ঞানৰ এইবোৰ শাখা-প্ৰশাখাৰ সহায়ত। এইবোৰ বাদ দিও জীয়াই আছোঁ এনে ধৰণৰ চিন্তা কৰাটোও আমাৰ পক্ষে টান মানুহৰ মুখত বহুত সময়ত অতীতৰ সেই সুন্দৰ তত্ত্ব দিনবোৰৰ নাম শুনা যায়—শুনা যায় এটি স্বৰ্ণযুগৰ নাম যি বহুদিন আগতে

পাৰ হৈ গৈছে। অতীত বুৰঞ্জী কোনো কোনো যুগৰ কাহিনী সঁচাকৈয়ে অতি মনোমোহা। কোনো কোনো কালৰপৰা সেই যুগ আমাৰ যুগতকৈ বহুত ভালো আছিল। কিন্তু ইয়াৰ কাৰণে যি আকৰ্ষণ আমি অনুভৱ কৰোঁ, তাৰ বহুখিনি সেই যুগৰ দূৰত্বৰ বাবে আৰু কিছু হয়তো তাত নিহিত থকা অস্পষ্টতাৰ ৰহস্যৰ বাবেহে। বিশেষ কোনো ডাঙৰ মানুহ একোটা বিশেষ যুগত জন্মিছিল বুলি আৰু প্ৰভুত্ব কৰি গৈছিল বুলিও সেই যুগটোক বৰ ডাঙৰ বুলি ভবাৰ অভ্যাসো আমাৰ আছে। কিন্তু ইতিহাসৰ পাত লুটিয়াই চালে দেখিবা যে সাধাৰণ মানুহৰ অৱস্থা সদায়েই শোচনীয়। যুগ যুগ ধৰি গধুৰ বোজা তেওঁলোকে বহন কৰি আহিছে, তাৰপৰা কিছু পৰিমাণে বিজ্ঞানেই তেওঁলোকক নিষ্কৃতি আনি দিছে।

তোমাৰ চাৰিওফালে চকু ফুৰাই চোৱা—তুমি দেখা প্ৰায় সকলো বস্তুৱেই যি কোনো প্ৰকাৰে বিজ্ঞানৰ লগত যুক্ত হৈ আছে। আমি বাট বোলো বিজ্ঞানৰ ৰীতিৰে, পৰম্পৰৰ ওচৰলৈ বাতৰি পঠাওঁ সেই পথেৰে, বহুত সময়ত আমাৰ খোৱা বস্তু এই একে উপায়েৰে প্ৰস্তুত কৰোঁ, এঠাইৰপৰা আন এঠাইলৈ অনা নিয়া কৰোঁ। যি বাতৰি কাকত আমি পঢ়ো, যি কিতাপ আমি কিনো যি কাগজত আমি লিখো, যি কলমেৰে আমি লেখো, বিজ্ঞানৰ সহায়ৰ বাহিৰে অন্য কোনো উপায়েৰে এইবোৰ তৈয়াৰ কৰা নহয়। স্বাস্থ্য ৰক্ষা জনস্বাস্থ্য বেমাৰৰ প্ৰতিকাৰ এইবোৰো নিৰ্ভৰ কৰে বিজ্ঞানৰ ওপৰতে। ব্যৱহাৰিক বিজ্ঞানক বাদ দি আধুনিক জগতত এখোজ আগবঢ়াও অসম্ভৱ। আন আন উদাহৰণৰ কথা বাদেই দিছো এটি প্ৰধান কথা আজি সৰ্বসন্মত যে বিজ্ঞান যদি নাথাকিলহেঁতেন তেন্তে পৃথিৱীৰ এই বিপুল জনসংখ্যাৰ উপযোগী খাদ্যৰ সংস্থান কৰাই অসম্ভৱ হলহেঁতেন। পৃথিৱীৰ আধা বা তাতোকৈ বেছি মানুহ অনাহাৰতে মৰিলহেঁতেন। যোৱা এশ বছৰৰ ভিতৰত মানুহৰ সংখ্যা কিমান বেছিকৈ বাঢ়িছে সেই কথা তোমাক কৈছোঁ। খাদ্য উৎপাদন আৰু সেই খাদ্য এঠাইৰপৰা আন ঠাইলৈ পঠোৱাৰ কামত বিজ্ঞানৰ সহায় ললেহে এই বিপুল জনসংখ্যাৰ পক্ষে জীয়াই থকা সম্ভৱ হয়।

যেতিয়াৰপৰা বিজ্ঞানে মানুহৰ জীৱনলৈ ডাঙৰ কল-কব্জাৰ আমদানী কৰিলে তেতিয়াৰপৰাই এই কব্জাৰ ক্ৰমে উন্নতি হ'ব ধৰিছে। প্ৰত্যেক বছৰে আনকি প্ৰত্যেক মাহতে অসংখ্য সৰু সৰু আৱিষ্কাৰ সৰু সৰু পৰিৱৰ্তন হৈছে, তাৰ ফলত কৰ্মক্ষমতা যিমানেই বাঢ়িছে সিমানেই মানুহে তাৰ শ্ৰমৰ ওপৰত কম নিৰ্ভৰ কৰিবলগীয়া হৈছে। আজিৰ এই যান্ত্ৰিক প্ৰগতি, এই উন্নতি কুৰি শতিকাৰ এই যোৱা ত্ৰিশ বছৰত বিশেষ বেগেৰে আগবাঢ়িছে। বৰ্তমান কেইবছৰমান ধৰি এই পৰিৱৰ্তনৰ গতি বৰ বেছি হৈছে। আজিও সেই গতি কমা নাই, ইয়াৰ ফলত শিল্প আৰু উৎপাদনৰ প্ৰণালীত এনে বিপ্লৱ ঘটিব ধৰিছে, অষ্টাদশ শতিকাৰ দ্বিতীয়ভাগত যি শিল্প বিপ্লৱ ঘটিছিল, একমাত্ৰ তাৰ লগতহে ইয়াৰ তুলনা দিব পাৰি। এই নতুন বিপ্লৱৰ প্ৰধান কাৰণ হৈছে উৎপাদন ক্ষেত্ৰত ক্ৰমে বেছি বিজুলী শক্তিৰ ব্যৱহাৰ। কুৰি শতিকাৰ এটি ডাঙৰ বিপ্লৱে হ'ল বিদ্যুৎ বিপ্লৱ। ইয়াৰ ফলত পৃথিৱীত বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰত মানুহৰ জীৱন যাত্ৰাৰ গতিয়েই সলনি হৈ গৈছে। ওঠৰ শতিকাত শিল্প বিপ্লৱে প্ৰতিষ্ঠা কৰিছিল

যন্ত্ৰ যুগ আৰু বিদ্যুৎ বিপ্লৱৰ ফলত আমি এতিয়া আগুৱাই গৈছো শক্তি যুগৰ ফালে। বিদ্যুৎ শক্তি যাক আমি ব্যৱহাৰ কৰিছো শিল্পত ৰেলগাড়ী বনোৱাত অথবা আন বহুতো কাম কাজত সিয়েই সকলোৰে ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিছে। ইয়াৰ কাৰণেই লেনিনে তেওঁৰ সুদূৰ প্ৰসাৰী দৃষ্টিৰে চোভিয়েট ৰুচিয়াত সকলোতে ডাঙৰ ডাঙৰ জল বিদ্যুৎ শক্তিৰ কাৰখানা তৈয়াৰ কৰিবলৈ বিচাৰিছিল।

শিল্পত বিদ্যুত শক্তিৰ ব্যৱহাৰ আৰু আনুষঙ্গিক আন আন উন্নত ব্যৱস্থাৰ ফলত বহুত সময়তেই উৎপাদনৰ ক্ষমতা বহুত বাঢ়ি যায়—অথচ খৰচো ইয়াত বেছি নহয়। এইদৰেই বিদ্যুতৰ দ্বাৰা বনোৱা যন্ত্ৰপাতিৰ অলপ উন্নত ব্যৱস্থা কৰিলেই হয়তো তাৰ উৎপাদন ক্ষমতা দুগুণে বাঢ়ি যাব। ইয়াৰ প্ৰধান কাৰণ যন্ত্ৰৰ উন্নতিৰ লগে লগে মানুহ নিযুক্তিৰ প্ৰয়োজন ক্ৰমে নাইকিয়া হয়। মানুহে কাম কৰে লাহে ধীৰে, তেওঁলোকে ভুল কৰিবও পাৰে, এতেকে যন্ত্ৰৰ যিমানেই উন্নতি হয় সেই পৰিমাণে সেই যন্ত্ৰ চলাবলৈ শ্ৰমিকো সিমানেই কম নিযুক্ত কৰা হয়। এজন মানুহে আজি কালি কিছুমান বুতামৰ সহায়ত বৰ ডাঙৰ ডাঙৰ যন্ত্ৰক চলাইছে, ইয়াৰ ফলত যন্ত্ৰৰে উৎপন্ন কৰা পণ্য বস্তুৰ পৰিমাণো বহুত বাঢ়ি যায়, আৰৌ ঠিক তাৰ লগে লগে কাৰখানাৰপৰা বহুত মানুহক আঁতৰাই দিয়া হয়, কাৰণ সেই যন্ত্ৰ চলাবলৈ আৰু তেওঁলোকৰ প্ৰয়োজন নহয়। ইফালে আকৌ যন্ত্ৰপাতিৰ উন্নতিও ইমান জোৰেৰে হব ধৰিছে বহুত সময়ত দেখা যায় নতুন এটা যন্ত্ৰ কাৰখানালৈ আনি বহুৱাওতে যিখিনি সময় লাগিল তাৰ ভিতৰতেই সেই যন্ত্ৰটো কিছু পৰিমাণে পুৰণি হৈ গ'ল, কাৰণ ইতিমধ্যে আৰু বেছি উন্নত যন্ত্ৰ তৈয়াৰ হৈ গ'ল।

শ্ৰমিকক আঁতৰাই তাৰ ঠাইত যন্ত্ৰৰ প্ৰৱৰ্ত্তন অৱশ্যে যন্ত্ৰশিল্প একেবাৰে প্ৰথম যুগৰপৰাই চলি আহিছে। তেতিয়াৰ দিনত ইয়াক লৈ বহুতো হাই-কাজিয়াও হৈছে, শ্ৰমিকসকলে খঙতে যে কল কাৰখানা ভাঙি চিঙিও পেলাইছিল ইয়াৰ কথাও বোধ কৰো তোমাক কৈছো। কিন্তু তাৰ পিছত দেখা গ'ল। যন্ত্ৰ ব্যৱহাৰৰ ফলত শেষলৈ আৰু বেছি মানুহেৰেই চাকৰিৰ যোগাৰ হয়। যন্ত্ৰৰ সহায়ত শ্ৰমিকে বহুতো বেছি বস্তু উৎপন্ন কৰিব পাৰে, তাৰ ফলত তেওঁলোকৰ মজুৰিও বাঢ়ি গল, আৰু পণ্যৰ মূল্য কমি গ'ল। এতেকে তেতিয়া শ্ৰমিক সকলে আৰু সাধাৰণ লোক সকলে সেই বস্তু আৰু বেছিকৈ কিনিব পাৰিলে। তেওঁলোকৰ জীৱন নিৰ্বাহৰ মান বাঢ়ি গ'ল যন্ত্ৰৰ দাৰা উৎপন্ন হোৱা বস্তুৰো চাহিদা বাঢ়িল। ইয়াৰ ফলত আকৌ আৰু বেছি কাৰখানা তৈয়াৰ কৰা হ'ল, আৰু বহুতো শ্ৰমিক তাত নিযুক্ত হৈ গ'ল। এতেকে দেখিছোঁ, যন্ত্ৰৰ ব্যৱহাৰৰ ফলত প্ৰত্যেকটো কাৰখানাতে বহুত শ্ৰমিকৰ কাম গ'ল হয় কিন্তু কাৰখানাৰ সংখ্যা ক্ৰমে বাঢ়ি যোৱাৰ লগে লগে মুঠতে আৰু বেছি শ্ৰমিকে কাম পাব ধৰিলে। এই কথা বহু কাল-ধৰি চলিছে, কাৰণ শিল্প দেশ সমূহে দূৰত থকা অনুন্নত দেশবোৰৰ বজাৰত বস্তু বিক্ৰী কৰি তাৰ লাভ কৰে, সম্প্ৰতি কেইবছৰমানৰপৰা ব্যৱসায় বন্ধ হৈ গৈছে বুলি ধাৰণা হয়, হয়তো ধনিকতন্ত্ৰী ব্যৱস্থাত ইয়াৰ প্ৰসাৰ আৰু সম্ভৱ নহয়; এতিয়া এই ব্যৱস্থাটোকেই অলপ সলনি কৰি নিয়াৰ আৱশ্যক হৈছে। আধুনিক শিল্পৰ কথাই হৈছে "বেছি বস্তু উৎপন্ন কৰাৰ" মানে। কিন্তু যি বস্তু উৎপন্ন হয় তাক অসমানভাৱে বিতৰণ

সেইটো চলিব পাৰে। জনসাধাৰণ যদি বৰ দুখীয়া হয় বা নিবনুৱা হয় তেনে-হলে সেই বস্তু কিনাৰ সামৰ্থ তেওঁলোকৰ নাথাকে।

যি কি নহওক এতিয়াও যন্ত্ৰ পাতিৰ উন্নতি সাধন অবিৰাম গতিত চলিছে, ক্ৰমে নতুন নতুন যন্ত্ৰ আহি মানুহৰ ঠাই অধিকাৰ কৰিছে, নিবনুৱাৰ সংখ্যা দিনে দিনে বাঢ়িব ধৰিছে। যোৱা চাৰি বছৰ ধৰি পৃথিৱীৰ সকলোতে এটি বৰ বাণিজ্য সংকটে দেখা দিছে, তথাপি যন্ত্ৰ শিল্পত উন্নতি সাধন বন্ধ হোৱা নাই। শুনিব পোৱা গৈছে যুক্তৰাষ্ট্ৰত হেনো ১৯২৯ চনৰ পিছৰপৰাই এই সময়ৰ ভিতৰতে এনে কিছুমান উন্নতি সাধন হৈছে যে তাৰ ফলত দেশৰ যি লাখ লাখ নিবনুৱা বহি আছে তেওঁলোকৰ আৰু কোনো কালেই চাকৰি পোৱাৰ সম্ভাৱনা নাই। ১৯২৯ চনত যিমান বস্তু উৎপন্ন হৈছিল যদি সেই অনুপাতে উৎপাদন চলিও থাকে তথাপিও নাপায়।

পৃথিৱীৰ সকলোতে, আৰু বিশেষকৈ শিল্পত আগৰণুৱা দেশবোৰত নিবনুৱা শ্ৰমিকসকললৈ এটা ডাঙৰ সমস্যাই দেখা দিছে—এইটোই হৈছে তাৰ এটা কাৰণ। অৱশ্যে আৰু বহুতো কাৰণ তাৰ আছে। এইটো এটা অদ্ভুত আৰু বিপৰীত সমস্যা। আধুনিক যন্ত্ৰপাতিৰ সহায়ত আৰু বস্তু উৎপন্ন কৰা হৈছে, ইয়াৰ অৰ্থই হৈছে, অন্ততঃ অৰ্থ হোৱা উচিত, জাতিৰ পক্ষে আৰু ধন সংস্থান হ'ল প্ৰত্যেকেই এতিয়া আৰু ভালকৈ খাবলৈ পাব, কিন্তু সেইটো নহল ইয়াৰ কাৰণে দেখা দিছে দৰিদ্ৰতা আৰু ভয়ঙ্কৰ দুৰ্দশাই হয়তো মনত ধাৰণা হ'ব ইয়াৰ এটা বৈজ্ঞানিক সমাধান বাহিৰ কৰা টান নহয়। সম্ভৱতঃ ই নহয়, কিন্তু বৈজ্ঞানিক পদ্ধতিত প্ৰকৃত অসুবিধা হ'ল যুক্তিসন্মত উপায়েৰে ইয়াৰ সমাধানৰ চেষ্টা কৰিবলৈ যোৱাটোও কাৰণ সেইটো কৰিবলৈ গলেই বহু লোকৰ বহু ধৰণৰ স্বাৰ্থত আঘাত পৰিব। তেওঁলোকৰ হাতত অসীম শক্তি আছে, দেশৰ বৰ কামকো তেওঁলোকৰ ইঙ্গিতত চলোৱাৰ শক্তি তেওঁলোকৰ আছে। তদুপৰি সমস্যাটো সম্পূৰ্ণ আন্তৰ্জাতিক। অথচ আজিৰ দিনত জাতিসমূহৰ মাজত যি অবিশ্বাসৰ চলিছে তাৰ মাজত সকলোৱে মিলি ইয়াৰ এটা আন্তৰ্জাতিক সমাধান কৰিবলৈ যোৱাটোৰ কোনো পথেই বিচাৰি পোৱা নাযায়। চোভিয়েট ৰুচিয়াই বৈজ্ঞানিক প্ৰণালীৰে এনে ধৰণৰ সকলো সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিছে। কিন্তু পৃথিৱীৰ বাকী সকলোবোৰ দেশেই আৰু ইয়াৰ প্ৰতি শত্ৰুতা ভাৱাপন্ন। সেই কাৰণে ইও নিজে স্বতন্ত্ৰ ৰূপেই চলিবলৈ বাধ্য হৈছে ইয়াৰ ফলতেই বহুত অসুবিধাও ভুগিবলগীয়া হৈছে, নহলে হয়তো কামটো তেওঁলোকৰ পক্ষে সহজ পক্ষে সহজ হলহেঁতেন। পৃথিৱীখন এতিয়া সঁচাকৈয়ে আন্তৰ্জাতিক বিষয় হৈ পৰিছে, অথচ ইয়াৰ ৰাজনৈতিক গঠন প্ৰণালী বৰ পিছ পৰি আছে, ই এতিয়া জাতীয়তাৰ অতি সংকীৰ্ণ পথেৰে পৰিচালিত হৈছে। সমাজতন্ত্ৰ যদি প্ৰতিষ্ঠা কৰিব লাগে, তেন্তে ই নিশ্চয় বৰ লাগিব আন্তৰ্জাতিক, বিশ্বজোৰা সমাজ-তন্ত্ৰ, কাৰণ সৌতক যেনেকৈ শুদ্ধটোই যোৱাৰ নোৱাৰি, তেনেকৈ বৰ্ত্তমান জগতৰ যি আন্তৰ্জাতিক পাখলি শক্তি উঠিছে সি সম্পূৰ্ণ বাস্তৱ ৰূপ নেপালেও এটি জাতিৰ

স্বাৰ্থৰ কাৰণে তাক বাধা দি চলিব নোৱাৰি। বহুতো দেশেই এতিয়া জাতীয়তাবাদ গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। কিন্তু এনে ধৰণৰ চেষ্টা ব্যৰ্থ হ'বই। কাৰণ জগতৰ অৰ্থনৈতিক জীৱন এতিয়া চলিছে এটি আন্তৰ্জাতিক ৰূপত আৰু এই চেষ্টা তাৰ বিপৰীতে চলাৰ চেষ্টা এইদৰে চলিলে আমি যাক আধুনিক সভ্যতা বুলি কওঁ ই তাকো এটা সৰ্বনাশৰ সন্মুখত পেলাব পাৰে; আৰু এনে হোৱাটো একোতেই অসম্ভৱ নহয়।

এনে ধৰণৰ এটা সৰ্বনাশৰ সম্ভাৱনা যে খুব দূৰত বা চিন্তা কৰিবলগীয়া ইও নহয় বিজ্ঞানে ক্ৰমে বহুতো ভাল ভাল বস্তু আনি দেশত আমাক আনি দিছে, কিন্তু যুদ্ধৰ বিভীষিকাকো ই বহুদূৰ বঢ়াই তুলিছে। বিশুদ্ধ আৰু ব্যৱহাৰিক বিজ্ঞানৰ বহু শাখা বহু অংগকে ৰাষ্ট্ৰসমূহে আৰু চৰকাৰ পক্ষই অৱহেলা কৰি আহিছে, কিন্তু যুদ্ধৰ কামত বিজ্ঞানক যিভাবে ব্যৱহাৰ কৰা যায় সেইফালটোক এওঁলোকে অৱহেলা কৰা নাই। বিজ্ঞানৰ আধুনিকতম আবিষ্কাৰৰ সহায়ত নিজৰ ৰণসজ্জা আৰু শক্তিক সম্পূৰ্ণ কৰি লোৱাত তেওঁলোকৰ উৎসাহৰ ত্ৰুটী নাই। প্ৰকৃততে বিচাৰ কৰি চালে দেখা যাব এতিয়াৰ বেছিভাগ ৰাষ্ট্ৰই তিষ্ঠি আছে নিজৰ শক্তিকেই আশ্ৰয় কৰি। বৈজ্ঞানিক সাজ-সজ্জাৰে এইবোৰ চৰকাৰে ইমান শক্তি সঞ্চয় কৰি লৈছে যে কোনো ৰকমৰ প্ৰত্যাঘাতৰ ভয় নকৰাকৈ তেওঁলোকে প্ৰজাসকলৰ ওপৰত অত্যাচাৰ চলাব পাৰে। আগতে অত্যাচাৰী চৰকাৰৰ বিৰুদ্ধে প্ৰজাসকলে বিদ্ৰোহ কৰিছিল, চহৰৰ ৰাজধানীত ইটা, কাঠ আদিৰে দেৱাল দি তাৰ আঁৰত থাকি যুঁজ কৰিছিল, ফৰাচী বিপ্লৱৰ সময়তো এই ভাবেই তেওঁলোকে যুঁজ কৰিছিল কিন্তু সেইদিন বহুদিনৰ আগতে পাৰ হৈ গৈছে। এতিয়া আৰু সুসংহত আৰু সুসজ্জিত চৰকাৰী বাহিনীৰ বিৰুদ্ধে থিয় হৈ যুঁজ কৰা নিৰস্ত্ৰ আনকি সশস্ত্ৰ জনতাৰ পক্ষেও সম্ভৱ নহয়। সেই চৰকাৰী বাহিনী নিজেই চৰকাৰৰ বিৰুদ্ধে থিয় দিব পাৰে, ৰুচ বিপ্লৱৰ সময়ত এনেই হৈছিল। সেইটো যদি ঘটে বেলেগ কথা, নহলে কেৱল গাৰ জোৰেৰে ইয়াক হুকুৱাতো অসম্ভৱ। এই কাৰণেই এতিয়া যি প্ৰজাই স্বাধীনতাৰ কাৰণে যুঁজ কৰিব বিচাৰে তেওঁলোকৰ পক্ষে গণ আন্দোলন চলোৱাৰ আন ধৰণৰ আৰু বেছি শান্তিপূৰ্ণ ৰীতি আবিষ্কাৰ কৰা প্ৰয়োজন হৈ উঠিছে।

এনেদৰেই বিজ্ঞানৰ সহায়ত একো একোটা দলে বা ধনী সম্প্ৰদায়ে ৰাষ্ট্ৰৰ প্ৰভুত্ব বিস্তাৰ কৰিছে, ব্যক্তিৰ স্বাধীনতা আৰু উনৈশ শতিকাৰ প্ৰচাৰিত গণতন্ত্ৰ ধ্বংস হৈ গৈছে, দেশে দেশে এনেদৰে ধনী সম্প্ৰদায়ৰ অভ্যুত্থান হৈছে, ক'ৰবাত এওঁলোকে গণতন্ত্ৰৰ নীতিকেই মুখত স্বীকাৰ কৰি লৈছে, ক'ৰবাত বা দেখা-দেখিকৈ তাক বাতিল কৰিছে। বিভিন্ন ৰাষ্ট্ৰৰ এই ধনী সম্প্ৰদায়ৰ মাজত আকৌ পৰস্পৰৰ ভিতৰত বিৰোধ হয়, তাৰ ফলত জাতিৰ ভিতৰত যুদ্ধ হয়। তাৰ ফলত কেৱল ধনী সম্প্ৰদায়েই নহয়—গোটেই মানৱ সভ্যতাই ধ্বংস হৈ যোৱা একো আচৰিত নহয়। আকৌ এইটোও হ'ব পাৰে, এই সভ্যতাৰ ভস্মৰপৰাই জন্ম লাভ কৰিব এটি আন্তৰ্জাতিক সমাজতন্ত্ৰ ব্যৱস্থা, মাৰ্ক্সৰ মতবাদত সেই সম্ভাৱনাৰ আশা কৰা হৈছে।

যুদ্ধৰ বাস্তৱ ৰূপ বৰ ভয়ঙ্কৰ, সেই ৰূপ কল্পনা কৰাটো মুঠেই সুখদায়ক নহয়। ইয়াৰ কাৰণেই সেই বাস্তৱ ৰূপক সুন্দৰ বাক্যৰে বীৰত্বব্যঞ্জক গীত আৰু সৈন্য বাহিনীৰ উজ্বল সাজপাৰৰ আৱৰণৰে ঢাকি ৰখা হয়। কিন্তু আজিৰ দিনত যুদ্ধ বোলোতে কি বুজায়? তাৰ অলপ জ্ঞান আমাৰ থকা প্ৰয়োজন। অথচ শুনা গৈছে যোৱা বিশ্ব-যুদ্ধখনৰ পিছৰ যুদ্ধখন হেনো ইমান ভয়াবহ হ'ব যে তাৰ তুলনাত যোৱা যুদ্ধখন একোৱেই নহয়। যোৱা কেইবছৰত শিল্প কৌশলৰ উন্নতি যদি আগতকৈ দহগুণ হয়, তেন্তে বৈজ্ঞানিক ৰণ কৌশলৰ উন্নতি হৈছে এশগুণ। যুদ্ধ এতিয়া আৰু পদাতিক সৈন্যৰ আক্ৰমণ বা অশ্বাৰোহীৰ আক্ৰমণ নহয় পুৰণি কালৰ ধেনু-কাড়ৰ দৰেই পুৰণি যুগৰ পদাতিক আৰু অশ্বাৰোহী সৈন্যও এই যুগত একেবাৰে অচল। যুদ্ধ এতিয়া চলে যন্ত্ৰেৰে চলোৱা টেঙ্ক (একৰকমৰ চকা লগোৱা চলন্ত যুদ্ধৰ জাহাজ) বিমান আৰু বোমাৰে—বিশেষকৈ শেষৰ দুটাৰে। উৰাজাহাজৰ গতি আৰু কাৰ্যৰ ক্ষমতা দিনে দিনে বাঢ়ি গৈছে।

এতিয়া আমাৰ ধাৰণা হৈছে যুদ্ধ যদি সঁচাকৈয়ে লাগে, তেন্তে যুদ্ধ কৰা জাতিবোৰ লগে লগেই বিপক্ষ দলৰ বিমান বাহিনীৰ দ্বাৰা আক্ৰান্ত হ'ব। যুদ্ধ ঘোষণা হোৱাৰ লগে লগেই মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে সেই উৰাজাহাজ উপস্থিত হ'ব আহি বা হয়তো যুদ্ধ ঘোষণাৰ আগতে অতৰ্কিতে শত্ৰুৰ ডাঙৰ ডাঙৰ চহৰ আৰু কাৰখানাবোৰৰ ওপৰত তেওঁলোকে শক্তিশালী বোমা নিক্ষেপ কৰিব। এওঁলোকৰ এই আক্ৰমণক বাধা দিবলৈ কোনো উপায়েই আচলতে নাথাকিব। শত্ৰুপক্ষৰ দুই চাৰিখন উৰাজাহাজ হয়তো ধ্বংস কৰিব পাৰিব, তথাপি যিবোৰ বাকী থাকিব চহৰখন ধ্বংস কৰিবৰ কাৰণে সিয়েই যথেষ্ট। উৰাজাহাজৰপৰা যি বোমা পেলোৱা হ'ব, তাৰ মাজৰপৰা বাহিৰ হৈ আহিব বিষাক্ত বাষ্প, ৰতাহৰ লগত এই বিষাক্ত বাষ্প সকলোতে বিয়পি পৰিব আৰু ৰস্তেই যি কোনো জীৱন্ত বস্তু ইয়াৰ সংস্পৰ্শলৈ আহিব সকলোৱে উশাহ নিশাহ বন্ধ হৈ মৃত্যুৰ মুখত পৰিব। অসামৰিক প্ৰজা-সকলকো এইদৰে হত্যাৰ যজ্ঞত আহুতি দিয়া হ'ব, অতি নিষ্ঠুৰভাৱে আৰু দুখ-দুৰ্দশাৰে হত্যা কৰা হ'ব তেওঁলোকক, সেই মৃত্যুৰ যন্ত্ৰণা অতি অসহ্য, তাৰ বাতৰি-য়েও মানুহৰ মন বিহ্বল কৰি তুলিব। যি জাতিবোৰ পৰস্পৰৰ ভিতৰত যুদ্ধত লিপ্ত, তেওঁলোকৰ দুয়ো পক্ষতে ডাঙৰ ডাঙৰ চহৰবোৰত হয়তো একেলগে এই ভয়াবহ হত্যাকাণ্ডৰ আয়োজন হৈ থাকিব। যোৱা বছৰৰ দৰে যদি আকৌ য়ুৰোপত যুদ্ধ হয়, লণ্ডন, পেৰিচ, বাৰ্লিন হয়তো কেইদিন মানৰ ভিতৰতে ভগ্ন স্তূপত পৰিণত হ'ব।

ইয়াৰ পিছত আৰু আছে, উৰাজাহাজৰপৰা যি বোমা পেলোৱা হ'ব, তাৰ মাজত হয়তো থাকিব নানা ৰকমৰ ভয়ানক ৰোগৰ বীজাণু, সেই বোমা পেলালে হয়তো গোটেই চহৰত সেইবোৰ ৰোগ বিয়পি পৰিব। এনে ধৰণৰ 'বীজাণু যুদ্ধ' আন আন উপায়েৰেও কৰোৱা হয়। খোৱা বস্তুত আৰু খোৱা পানীত এই বীজাণু মিলাই দিয়া হয় বা জীৱজন্তুৰ সহায়েৰে এইবোৰ এৰি দিয়া হয়—যেনে এন্দুৰৰ সহায়েৰে প্লেগৰ বীজাণু এৰি দিয়া হয়।

এইবোৰ কথা শুনিলে বিশ্বাস নহয়। মনত হয় যেন কোনো নৃশংস পিশাচৰ গল্প। সঁচাকৈয়ে সেয়ে। পিশাচেও বোধকৰো এনে কাম কৰিবলৈ দ্বিধা কৰিব।

কিন্তু মানুহে যেতিয়া বৰ ভয় খায়, জীৱন-মৰণৰ যুদ্ধত লিপ্ত হয়, তেতিয়া বহুতো বিশ্বাস কৰিব নোৱাৰা ঘটনা ঘটে। শত্রুপক্ষই হয়তো এনে পাশৱিক উপায় অৱলম্বন কৰিব—সেই ভয়তে প্ৰত্যেক দেশেই আগৰপৰাই এই উপায় নিজে অৱলম্বন কৰে। তাৰ কাৰণ এই অস্ত্ৰবোৰ এনে ভয়ংকৰ যে যি দেশত ইয়াক পোনতে প্ৰয়োগ কৰিব পাৰে তেওঁলোকৰ বিশেষ সুবিধা। ভয়ৰ দৃষ্টি সুদূৰ প্ৰসাৰী।

প্ৰকৃততে যোৱা যুদ্ধতেই বিষ বাষ্পৰ বৰ বেছি প্ৰয়োগ হৈছিল। সকলোৱেই জানে পৃথিৱীৰ ডাঙৰ ডাঙৰ দেশবোৰ প্ৰত্যেকৰে এতিয়া বৰ ডাঙৰ ডাঙৰ কাৰখানা আছে, সেই কাৰণে যুদ্ধৰ কাৰণে সেই বিষবাষ্প তৈয়াৰ কৰি ৰখা হৈছে। ইয়াৰ এটা আচৰিত ফল হ'বগৈ। অহা বছৰৰ যুদ্ধত প্ৰকৃত যুদ্ধ চলিব ৰণক্ষেত্ৰত নহয় —তাত হয়তো কিছুমান সৈন্যই মাটিত গাত খান্দি দুয়োপক্ষই মুখামুখিকৈ বহি থাকিব। আচলতে যুদ্ধ হ'ব ৰণক্ষেত্ৰৰ পিছত চহৰবোৰত অসামৰিক প্ৰজাসকলৰ ঘৰে ঘৰে। কোনে জানে সেই যুদ্ধত হয়তো ৰণক্ষেত্ৰই হ'ব সকলোতকৈ নিৰাপদ ঠাই, কাৰণ তাত বিমানৰ আক্ৰমণ, বিষবাষ্প আৰু জীৱাণুৰ সংক্ৰামক আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ সম্পূৰ্ণ ব্যৱস্থা থাকিব, আৰু পিছত যিবোৰ মানুহ থাকিল, অথবা যিবোৰ নাৰী বা শিশু, তেওঁলোকৰ ৰক্ষাৰ কাৰণে তেনে কোনো ব্যৱস্থাই কৰা নহ'ব।

কিন্তু ইয়াৰ ফল শেষত ঠিক হ'বগৈ? গোটেই পৃথিৱীৰ ধ্বংস? শ শ বছৰৰ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত যি সংস্কৃতি আৰু সভ্যতাৰ সৌধ গঢ়ি উঠিছে তাৰ ধ্বংস?

কি হ'ব তাক কোনেও নাজানে, ভৱিষ্যতৰ মুখৰ ওৰণি দাঙি চাবলৈ আমাৰ ক্ষমতা নাই। আজিৰ পৃথিৱীত আমি ঘটনাৰ দুটি সোঁত দেখিবলৈ পাইছোঁ; দুটি প্ৰতিদ্বন্দ্বী আৰু বিপৰীতমুখী সোঁত। এফালে দেখিছো সহযোগিতা আৰু যুক্তিৰ জয়যাত্ৰা, সভ্যতাৰ গাঁথনিক তিল তিল কৰি গঢ়ি তোলাৰ প্ৰয়াস, আনফালে ধ্বংসৰ সূচনা, যতে যি আছে তাকেই ভাঙি-চিঙি চূড়মাৰ কৰি পেলোৱাৰ আয়োজন। গোটেই মানৱ জাতিৰে আত্মহত্যা কৰাৰ ভীষণ চেষ্টা। দুয়োটি সোঁতৰে গতি দিনে দিনে বাঢ়ি যাব ধৰিছে, দুয়ো পথেই নিজক সুসজ্জিত কৰি ৰাখিছে, বিজ্ঞানৰ অস্ত্ৰ আৰু কৌশলেৰে, কিন্তু ইয়াৰ ভিতৰত জয় হ'ব কাৰ?

১৮৪
বাণিজ্য-সংকট আৰু বিশ্ব-সংকট

১৯ জুলাই, ১৯৩৩

বিজ্ঞানৰ বলত মানুহ কিমানখিনি শক্তিৰ অধিকাৰী হৈছে, সেই শক্তিৰে কি অসাধ্য সাধন কৰা হৈছে, তাৰ কথা যিমানেই ভাবো সিমানেই স্তম্ভিত হৈ যাওঁ। পুঁজিবাদী জগতৰ এতিয়া যি অৱস্থা পাইছেগৈ সি সঁচাকৈয়ে আচৰিত হবলগীয়া। ৰেডিঅ'ৰ যোগেদি আমাৰ মাত দূৰ-দূৰণিৰ দেশতো শুনা গৈছে, বেতাঁৰ টেলিফোনেৰে আমি পৃথিৱীৰ অন্য প্ৰান্তৰ মানুহৰ লগত কথা কৈছো, অলপ দিনৰ ভিতৰতে টেলিভিচনৰ যোগেদি সেইসকলক আমি চকুৰেও দেখিম, বিজ্ঞানৰ ক্ষমতা অপূৰ্ব। ইয়াৰে মানুহৰ প্ৰয়োজনীয় সকলো বস্তুকে প্ৰচুৰ পৰিমাণে প্ৰস্তুত কৰিব পৰা হয়। মানুহৰ ইতিহাস যিদিনা প্ৰথম আৰম্ভ, সেই দিনৰপৰাই মানুহৰ হাৰভঙা পৰিশ্ৰম কৰিব লগীয়া হৈছে, সেই পৰিশ্ৰমৰ যথেষ্ট মূল্য তেওঁলোকে কোনো দিনেই পোৱা নাই। সেই দৈনন্দিন দুৰ্ভাগ্যৰপৰা অব্যাহতি পোৱাৰ আশাৰ যি সপোন সি হ'ল, এখন স্বৰ্গীয় সোণৰ দেশ, সুখ আৰু স্বাচ্ছন্দ্যৰে ভৰা, যি বিচৰা তাক অত প্ৰচুৰ পৰিমাণে পাবা। অতীতৰ দিনবোৰৰ এটি স্বৰ্ণ যুগৰ কল্পনা কৰিছে তেওঁলোকে, তাৰ নাম সত্যযুগ কল্পনা কৰিছে আকৌ এদিন স্বৰ্গ পৃথিৱীলৈ নামি আহিব, তাত শান্তি আৰু সুখৰ ভিতৰত তেওঁলোকৰ ইমান দিনৰ এই দৰিদ্ৰতাৰ অৱসান হ'ব। তাৰ পিছত আহিল বিজ্ঞান, প্ৰচুৰ পৰিমাণে ধন আৰ্জনৰ উপায় ই কৰায়ত্ত কৰি দিলে। অথচ সেই সম্ভাৱনাৰ আৰু প্ৰাচুৰ্যৰ মাজতো পৃথিৱীৰ অধিক সংখ্যক লোক আজিও দুখ দৈন্যৰ সাগৰত নিমজ্জিত হৈ আছে। কথাটো শুনিলে অবাস্তৱ যেন লাগে—অথচ ই তেনেই সঁচা কথা। ই এক আশ্চৰ্য পৰিহাস নহয় জানো?

আমাৰ বৰ্তমান যুগৰ মানৱ সমাজ বিজ্ঞান আৰু তাৰ অসংখ্য দানকলৈ বাস্তৱিকতে বৰ বিব্ৰত হৈ পৰিছে। ইয়াৰ এটাৰ লগত আনটোৰ মিল নাই। সমাজ ব্যৱস্থাৰ লগত বিজ্ঞানৰ কৰ্মপদ্ধতিৰ বিচাৰ হৈছে। ঐশ্বৰ্য কিদৰে গঢ়িব পাৰি সেইটোৰেই কেৱল আমি শিকিছো। এই ঐশ্বৰ্য কিদৰে ভগোৱা হ'ব বা বিতৰণ হ'ব তাক শিকা নাই।

এই গ'ল সৰু এটা কথা। ইয়াৰ পিছত ব'লা য়ুৰোপ আৰু আমেৰিকাক এবাৰ অলপ চাই আহো। বিশ্বযুদ্ধৰ পিছত প্ৰায় দহ বছৰ জুৰি এওঁলোক যিবোৰ

অসুবিধাত পৰিছিল তাৰ কথা অলপ তোমাক মই আগতে কৈছো। যুদ্ধোত্তৰ যুগত যি অৱস্থাই পৃথিৱীত দেখা দিলে, তাৰ আঘাতত বিজিত দেশবোৰৰ জাৰ্মাণী আৰু মধ্য য়ুৰোপৰ সৰু সৰু দেশবোৰৰ দশা বৰ সংকটজনক হৈ উঠিল। কেউ লোকৰ মুদ্ৰা ব্যৱস্থা ভাঙি পৰিল, মধ্যবিত্ত শ্ৰেণীবোৰ সৰ্বস্বান্ত হৈ পৰিল। য়ুৰোপৰ বিজয়ী আৰু ধনী জাতিসমূহৰ অৱস্থাও ইয়াতকৈ বেছি ভাল নাছিল। প্ৰত্যেকেই আমেৰিকাৰপৰা টকা ধাৰে লৈছিল, দেশৰ ভিতৰতো এওঁলোকৰ অজস্ৰ ধাৰ, এই দুই ধাৰৰ বোজা মূৰত লৈ এওঁলোকে পোন হৈ থিয় হ'ব পৰা নাছিল। একমাত্ৰ আশা আছিল এওঁলোকৰ জাৰ্মানীৰপৰা ক্ষতি পূৰণৰ বাবে টকা পাব, সেই টকাৰে অন্ততঃ বাহিৰৰ ধাৰ পৰিশোধ কৰিব পাৰিব কিন্তু আশা যুক্তিহীন, কাৰণ জাৰ্মাণীৰ তেতিয়া নিজৰ খৰচ চলোৱাই অসম্ভৱ হৈ পৰিছে। কিন্তু সেই উপায় উলিয়াই দলে আমেৰিকাই। জাৰ্মাণীক ই টকা ধাৰ দিব ধৰিলে, সেই টকাৰে জাৰ্মানীয়ে ইংলেণ্ড, ফ্ৰান্স আদিৰ পাবলগীয়া ক্ষতিপূৰণ এওঁলোকে কৰিলে। আকৌ সেই টকাৰেই আমেৰিকাৰ ধাৰ অলপ শেষ কৰিলে।

এই দহ বছৰে আমেৰিকাৰ যুক্তৰাষ্ট্ৰই আছিল একমাত্ৰ সংগতি সম্পন্ন দেশ। ধন ঐশ্চৰ্যৰ তেতিয়া তেওঁলোকৰ সীমা সংখ্যা নাই, সেই ঐশ্চৰ্যৰ মোহতে তেওঁলোকৰ আশাও একেবাৰে আকাশলংঘা হৈ পৰিল, 'চেয়াৰ মাৰ্কেট', 'ফটকা'ৰ খেলা আৰম্ভ হৈ গ'ল।

পুঁজিবাদী দেশসমূহৰ ধাৰণা আছিল, আগৰ সকলোবোৰ অৰ্থসংকট যিদৰে দুদিনতে পাৰ হৈ যায় এইবছৰো এই সংকট তেনেদৰেই পাৰ হৈ যাব। পৃথিৱীৰ অৱস্থা আকৌ লাহে লাহে স্বাভাৱিক হৈ আহিব। তাৰ পিছত আকৌ এটি সমৃদ্ধিৰ যুগ আৰম্ভ হ'ব। প্ৰকৃততে পুঁজিবাদী ব্যৱস্থাৰ জীৱন ধাৰাৰ গতি এয়েই। বহুদিনৰ আগতে এই কথা কৈছোঁ যে পুঁজিবাদী ৰীতিয়েই হৈছে অবৈজ্ঞানিক, আৰু পৰিকল্পনা বিহীন; এইটো তাৰেই এৰাব নোৱাৰা ফল। শিল্প ব্যৱসায় যেতিয়া ভাল ভাৱেৰে চলে তাৰপৰা সৃষ্টি হয় লাভৰ বজাৰ। সেই বজাৰত মাল বিক্ৰী কৰি দুই পইচা কৰিব এই আশাৰেই সকলোৱেই যিমান সম্ভৱ বেছি বস্তু উৎপাদন কৰিবলৈ ধৰে। তাৰ ফলত হয় উৎপাদন বেছি, অৰ্থাৎ যিমান বস্তু বজাৰত প্ৰকৃততে চলিব তাতকৈ বেছি বস্তুৰ উৎপাদন হৈ যায়, বস্তুৰে গুদাম ভৰি পৰে। তাৰ পিছত আহে সঙ্কট আকৌ শিল্প ব্যৱসায়ৰ বজাৰ—পৰি যায়। কিছুদিনৰ কাৰণে উৎপাদনৰ উৎসাহৰ ভাটা পৰে, সেই সময়তে ভৰাল ভৰি পৰা দ্ৰব্য লাহে লাহে বিক্ৰী কৰি দিয়া হয়। তাৰ পিছত আকৌ টোপনি ভাঙি ব্যৱসায়ৰ উৎসাহ জাগি উঠে. দুদিন নোযাওঁতেই আকৌ ভাল বজাৰে দেখা দিয়ে। এয়ে হৈছে বজাৰৰ একপ্ৰকাৰ ঘূৰণীয়া চক্ৰৰ আৱৰ্তন। এতেকে সঙ্কটৰ দিনতো মানুহে আশা কৰি থাকিল যে এদিন নহয় এদিন ভাল দিন আহিবই।

কিন্তু ১৯২৯ চনৰ অৱস্থা হঠাৎ বেয়া হৈ পৰিল। আমেৰিকাই জাৰ্মাণীক আৰু দক্ষিণ আমেৰিকাই ৰাষ্ট্ৰসমূহক টকা ধাৰ দিয়া বন্ধ কৰিলে, ইয়াৰ ফলত ধাৰ আৰু ধাৰ পৰিশোধৰ যি ব্যৱস্থা কাগজে-পত্ৰে গঢ়ি উঠিছিল, সেইটো ভাঙি-থাহি গ'ল। সকলোৱেই বুজি পালে যে আমেৰিকাৰ মহাজনসকলে চিৰদিন

এইদৰে টকা ধাৰ দিবলৈ আৰু মান্তি নহয়, কাৰণ ইয়াৰপৰা তেওঁলোকে পাবলগীয়া টকা দিনে দিনে বাঢ়ি গৈছে। আৰু কোনো দিনেই এই টকা পোৱাৰ সম্ভাৱনা নোহোৱা হৈ পৰিছে। ইমান দিনে ধাৰে দিছিল কাৰণ তেওঁলোকৰ হাতৰ বহুত টকা জমা হৈছিলহি, সেই টকা তেওঁলোকে আন ৰকমে ব্যৱহাৰ কৰিবলৈ উপায় পোৱা নাছিল, বাহি টকা ইমান বেছি হোৱাৰ কাৰণেই তেওঁলোকে 'কটকা' খেলা আৰম্ভ কৰি দিলে। দেশজুৰি এনে অৱস্থা হল জুৱাখেলৰ প্ৰভাৱতেই সকলোৱেই বাতিটোৰ ভিতৰতে ধনী হোৱাটো বিচাৰিলে।

জাৰ্মাণীক টকা দিয়া বন্ধ কৰাৰ লগে লগেই এটা সংকটে দেখা দিলে, জাৰ্মাণীৰ বেংকবোৰো বেঙ্ক অচল হৈ পৰিল। ক্ষতিপূৰণ আৰু ঋণ পৰিশোধৰ যি চক্ৰৰ সৃষ্টি কৰা হৈছিল, সেইটোও ক্ৰমে বন্ধ হৈ গ'ল। দক্ষিণ আমেৰিকাৰ ৰাষ্ট্ৰসমূহে আৰু সৰু সৰু ৰাষ্ট্ৰবোৰে দিবলগীয়া টকা বিচাৰিবলৈ ধৰিলে। ধাৰৰ এই ব্যৱহাৰ গাথনিটোৱেই ভাঙি পৰাৰ উপক্ৰম হৈ পৰিছে, দেখি যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্ট হুভাৰে ভয় খালে, ১৯৩১ চনৰ জুলাই মাহত তেওঁ এবছৰৰ কাৰণে এটি ঋণ পৰিশোধৰপৰা বেহাই ঘোষণা কৰিলে। তাৰ অৰ্থ হ'ল এখন দেশৰ ওচৰত আন এখন দেশে যিমান ধাৰ বা ক্ষতিপূৰণত টকা পাবলগীয়া আছে এই এবছৰৰ ভিতৰত এই কোনো টকা আদায় কৰাটো নচলিব। যাতে ঋণী দেশসমূহে অলপ সকাহ পায়।

১৯২৯ চনৰ অক্টোবৰ মাহত আমেৰিকাত এটি বৰ ডাঙৰ ঘটনা ঘটিল। 'চেয়াৰ বজাৰৰ, জুৱাখেলৰ প্ৰকোপত চেয়াৰ আদিৰ দৰ একেবাৰে অস্বাভাৱিক ৰকমে বাঢ়ি গ'ল, তাৰ পিছত হঠাৎ ই একেবাৰে ভাঙি পৰিল। নিউয়ৰ্কৰ মহাজনসকলৰ মাজত বৰ সংকটে দেখা দিলে। আমেৰিকাৰ এটি সমৃদ্ধিৰ যুগ পৰিছিল—তেতিয়াৰপৰা সিও শেষ হ'ল। ব্যৱসায়ৰ মন্দা বজাৰৰ কাৰণে আন আন দেশবোৰৰ দুৰ্গতি হৈছিল, এইবাৰ যুক্তৰাষ্ট্ৰও তেওঁলোকৰ দলত ভুক্ত হ'ল। ব্যৱসায় বাণিজ্যৰ বজাৰত যি মন্দা বজাৰ চলিছিল, এতিয়া সেইটো মহা সংকটত পৰিণত হ'ল। চাওঁতে চাওঁতে পৃথিৱী জুৰি এই সংকট বিয়পি পৰিল। নিউয়ৰ্কৰ চেয়াৰৰ বজাৰত যি জুৱাখেলা চলিছিল বা নিউয়ৰ্কত যি অৰ্থ সংকটে দেখা দিছিল, তাৰ কাৰণেই আমেৰিকাই অধঃপতন বা বিশ্বজোৰা অৰ্থ সংকট ঘটিছিল বুলি নাভাবিবা ইয়াৰ আচল কাৰণ আছিল বেলেগ।

পৃথিৱীৰ সকলোতে বাণিজ্যৰ পৰিমাণ বৰ কমি গ'ল, পণ্যৰ মূল্য, বিশেষকৈ কৃষিজাত বস্তুৰ মূল্য বৰ বেগাই কমি আহিব ধৰিলে। সকলোৱে কলে পৃথিৱীৰ প্ৰায় সকলো ৰকমৰ বস্তুৰ উৎপাদন বেছি হৈছে। আচলতে কথাটো হ'ল যিমান বস্তু উৎপন্ন হৈছে সেই সকলোবোৰ কিনাৰ কাৰণে ইমান টকা মানুহৰ হাতত নাই। কাৰখানাত তৈয়াৰ হোৱা বস্তু বিক্ৰী নোহোৱা হৈছে—ফলত ইয়াৰ উঁৱাল ভৰি পৰিল, এতেকে স্বভাৱতেই এই কাৰখানাবোৰকে বন্ধ কৰিবলগীয়াত পৰিল। যি বস্তু বিক্ৰী নহয় তাক ক্ৰমান্বয়ে তৈয়াৰ কৰি থকা অসম্ভৱ। ইয়াৰ ফলত, য়ুৰোপ, আমেৰিকা আৰু আন আন দেশত বহুত মানুহ নিবনুৱা হৈ পৰিল। ইমান ডাঙৰ নিবনুৱা সমস্যা ইতিহাসত আৰু কোনো দিনেই হোৱা নাছিল। সকলো

শিল্প প্ৰধান দেশেই বৰ বিপদত পৰিল। পৃথিৱীৰ বজাৰত খাদ্যবস্তু বা কাৰ-খানাত ব্যৱহাৰৰ কাৰণে কেচামাল বিক্ৰী কৰিছিল যিবোৰ কৃষি প্ৰধান দেশে সেইবোৰৰ একে দশা হ'ল। ভাৰতবৰ্ষৰ শিল্প প্ৰতিষ্ঠানবোৰেও কিছু পৰিমাণে ক্ষতি সহ্য কৰিবলগীয়া হ'ল, কিন্তু বস্তুৰ মূল্য হ্ৰাস হোৱাৰ ফলত আমাৰ কৃষক-সকলৰেই দুৰ্দশা বাঢ়িল বেছিকৈ। সাধাৰণতে খাদ্যবস্তুৰ দাম এনেদৰে কমি গলে জনসাধাৰণৰ পক্ষে সেইটো আশীৰ্বাদৰ দৰে হয়—তেওঁলোকে অলপ দামতে খাই-বৈ থাকিব পাৰে। কিন্তু পুঁজিবাদী ব্যৱস্থাৰ ফলত আমাৰ জগতখনেই হৈছে ওলোটা—সেয়ে এই আশীৰ্বাদেই পৰিণত হল অভিশাপত। কৃষকসকলে জমিদাৰৰ খাজনা বা চৰকাৰৰ কৰ দিবলগীয়া হয় নগদ টকাৰে। সেই টকা তেওঁলোকে পায় উৎপন্ন হোৱা শস্য বেচি। কিন্তু বস্তু-বাহানীৰ দাম ইমান কমি গৈছে যে বহু ক্ষেত্ৰত দেখা গ'ল, যিমান শস্য পোৱা হৈছে শস্যৰ সকলোখিনি বিক্ৰী কৰি দিলেও তেওঁলোকৰ এই খাজানাৰ টকাটোকেই নুঠে। এতেকে বহুতো ক্ষেত্ৰত তেওঁলোকক মাটিৰপৰা উচ্ছেদ কৰা হল; তেওঁলোকৰ জুপুৰী আনকি জুপুৰীত থকা গৃহস্থালীৰ কাৰণে যি দুই চাৰিখন বাচন-বৰ্তন আছিল, সেই খিনিও খাজনা অনাদায়ৰ কাৰণে নীলাম কৰা হ'ল। খাদ্য তেতিয়া অতি সস্তা অথচ সেই খাদ্য যিসকলে উৎপন্ন কৰিছে, তেওঁলোকেই অনাহাৰত মৰিবলগীয়া হ'ল, গৃহহীন হৈ বাৰখলিত আশ্ৰয় লবলগীয়া হ'ল।

পৃথিৱীৰ সকলো দেশ এতিয়া পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল বুলিয়েই এই সংকটো পৃথিৱী জুৰি বিয়পি পৰিল। ইয়াৰ হাতৰপৰা ৰক্ষা পৰিল বোধহয় একমাত্ৰ তিব্বত দেশ, যাৰ বাহিৰৰ জগতৰ লগত কোনো সংশ্ৰৱ নাই। মাহৰ পিছত মাহ পাৰ হৈ গ'ল, সংকট আৰু বিয়পি পৰিবলৈ ধৰিলে, ব্যৱসায়-বাণিজ্য একেবাৰে অচল হৈ পৰিল, সমাজৰ দেহত যেন ই এটা পক্ষাঘাতৰ আক্ৰমণ। অলপ অলপকৈ গোটেই দেহটোকে ই আক্ৰমণ কৰিলে। লীগ অৱ নেচনচৰ দ্বাৰা প্ৰকা-শিত বিশ্ব বাণিজ্যৰ এই হিচাববোৰ দেখিলেই কি দৰে দৰ কমি গৈছিল তাক ভালদৰে বুজিব পাৰিবা। এইবোৰ অঙ্ক লেখা হৈছে দহলাখ সোণৰ ডলাৰৰ হিচাবত। প্ৰত্যেক বছৰৰ প্ৰথম তিনি মাহত যিমান কিনা-বেচা পৃথিৱীত হৈছে—তাৰেই হিচাবত এইবোৰ—

কোন চনৰ প্ৰথম তিনিমাহ	মুঠ আমদানি	মুঠ ৰপ্তানি	আমদানি ৰপ্তানিৰ মুঠ পৰিমাণ
১৯২৯	৭৯৭২	৭৩১৭	১৫,২৮৯
১৯৩০	৭৩৬৪	৬৫২০	১৩,৮৮৪
১৯৩১	৫১৫৪	৪৫৩১	৯,৬৮৫
১৯৩২	৩৪৩৪	৩০২৭	৬,৪৬১
১৯৩৩	২৮২৯	২৫৫২	৫৩৮১

এই হিচাবৰপৰাই দেখা যায় পৃথিৱীৰ ব্যৱসায় বাণিজ্যৰ পৰিমাণ কি ধৰণে ক্ৰমান্বয়ে কমি আহিছে, ১৯৩৩ চনৰ প্ৰথম তিনিমাহত যিমান টকাৰ বস্তু কিনা-বেচা হৈছে, তাৰ পৰিমাণ চাৰি বছৰ আগৰ ঠিক ৩৫ ভাগ অৰ্থাৎ প্ৰায় এক তৃতীয়াংশৰ সমান।

বাণিজ্যৰ হিচাবৰ এইবোৰ দুৰ্বোধ্য অঙ্ক, ইয়াৰপৰা মানুহৰ বাতৰি আমি কি জানিব পাৰিছোঁ ? জানিব পাৰিছো, পৃথিবীৰ বেছি ভাগ মানুহেই ইমান দুখীয়া হৈ পৰিছে যে তেওঁলোকে নিজে যি উৎপন্ন কৰিছে, তাকো কিনিবলৈ তেওঁলোকৰ সামৰ্থ্য নাই। একমাত্ৰ য়ুৰোপৰ আৰু আমেৰিকাৰ নিবনুৱা শ্ৰমিকৰ সংখ্যা হৈছে গৈ প্ৰায় তিনিকোটি, ইয়াৰ ভিতৰত অকল বৃটেনৰ ত্ৰিশ লাখ মানুহ নিবনুৱা হৈ বহি আছে, যুক্তৰাষ্ট্ৰত আছে এককোটি ত্ৰিশ লাখ। ভাৰতবৰ্ষ বা এচিয়াৰ আন আন দেশত নিবনুৱাৰ সংখ্যা কিমান তাক কোনেও নাজানে। খুব সম্ভৱ, একমাত্ৰ ভাৰতবৰ্ষতে ইমান মানুহ নিবনুৱা হৈ আছে যে তেওঁলোকৰ সংখ্যা য়ুৰোপ আৰু আমেৰিকাৰ মুঠ সংখ্যাকো চেৰাই গৈছে। পৃথিবীৰ সকলোতে এই যে অসংখ্য মানুহ নিবনুৱা হৈ পৰিছে, এওঁলোকৰ কথা ভাবা, ভাবা এওঁলোকৰ পৰিয়াল বোৰৰ কথা যিসকলে এওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰি জীয়াই থাকে। বাণিজ্য সংকটৰ ফলত মানুহৰ কিমানখিনি দুৰ্দশা হৈছে, তাৰ কিছু আভাস হয়তো পাবা। য়ুৰোপৰ বহুতো দেশত এটা চৰকাৰী—ব্যৱস্থা আছে নিবনুৱা বুলি যি সকলে নাম লেখিছে তেওঁলোকক সকলোকে তাৰপৰা একোটা জীয়াই থকাৰ জোখাৰে 'ভাতা' দিয়া হয়। যুক্তৰাষ্ট্ৰতো নিবনুৱাসকলক ভিক্ষা দিয়াৰ ব্যৱস্থা আছে। এই 'ভাতা' বা ভিক্ষাৰেও বেছিদিন নুকুলায় আকৌ ইও বহুতৰে ভাগ্যত নিমিলে, মধ্য আৰু পূৰ্ব য়ুৰোপৰ বহু ঠাইত অৱস্থা একেবাৰে ভয়লগা হৈ পৰিছে।

ডাঙৰ ডাঙৰ শিল্প প্ৰধান দেশবোৰৰ ভিতৰত আমেৰিকাতেই সংকট সকলোতকৈ শেষত আৰম্ভ হৈছিল। কিন্তু ইয়াৰ প্ৰতিক্ৰিয়া তাত যিমান উৎকট হল আন কতো হোৱা নাছিল। আমেৰিকাৰ লোকসকলক দীঘলীয়া কাল বাণিজ্য সংকট আৰু দন্য সহ্য কৰাত অভ্যস্ত নাছিল। টকাৰ অহঙ্কাৰত অহঙ্কাৰী আমেৰিকা। এই আঘাতত একেবাৰে বিহ্বল হৈ পৰিল। দেশত নিবনুৱা সংখ্যা লাখৰ পৰা কোটিৰ ঘৰত উঠিল গৈ। দেশজুৰি অসংখ্য মানুহে পেটৰ ভোকত তিল তিল কৰি অনাহাৰত শুকাই মৰিছে দেখি গোটেই জাতিটোৰেই মনৰ বল একেবাৰে ভাঙি পৰিল। বেঙ্ক বা কাৰবাৰত টকা ৰখাত আৰু মানুহৰ ভৰসা নাই, বেঙ্কৰপৰা টকা উলিয়াই আনি তেওঁলোকে ঘৰত ৰাখিবলৈ ধৰিলে বেঙ্ক জীয়াই থাকে মানুহৰ বিশ্বাস আৰু ঋণৰ ওপৰত। সেই বিশ্বাস যদি নোহোৱা হয় তেন্তে বেঙ্ক আৰু নাবাচে। যুক্তৰাষ্ট্ৰত হাজাৰ হাজাৰ বেঙ্ক বন্ধ হৈ গ'ল। প্ৰত্যেকটো বেঙ্ক ফেল হোৱাৰ লগে লগে সংকটৰ তীব্ৰতা আৰু বাঢ়ি গ'ল— অৱস্থাও আৰু বেয়াৰ ফাললৈ খাল খালে।

বহুতো নিবনুৱা পুৰুষ মহিলাই অঘৰী জীৱন যাপন কৰিলে, তেওঁলোকে এখন চহৰৰপৰা আন এখন চহৰলৈ ঘূৰি ফুৰিব ধৰিলে, সুদীৰ্ঘ পথত বাট বুলি কেতিয়াবা বাটত যোৱা মটৰ গাড়ীত কাকুতি মিনতি কৰি অলপ ঠাই উলিয়াই উঠি আৰু বেচি ভাগ ক্ষেত্ৰতে লাহে লাহে যোৱা মাল কঢ়িওৱা ৰেলগাড়ীৰ ফুট-বৰ্ডত ওলমি এওঁলোকে যাত্ৰা কৰিব ধৰিলে। ইয়াতকৈ মৰ্মস্পৰ্শী দৃশ্য আছিল, যি অসংখ্য চেমনীয়া ল'ৰা-ছোৱালী আনকি কণকণ শিশুৱেও এনেদৰে উদ্দেশ্য

বিহীন অনিৰ্দিষ্ট যাত্ৰা আৰম্ভ কৰিছিল। প্ৰাপ্তবয়স্ক আৰু শক্তি সামৰ্থ থকা লোক সকলো নিবনুৱা হৈ বহি থাকিল, চাকৰি পাব বুলি আশাপালি। বহুতো আদৰ্শ স্থানীয় কাৰখানা বন্ধ হৈ গল। অথচ পুঁজিবাদৰ এনে মাহাত্ম্য যে ঠিক ইয়াৰ বাবেও দেশৰ সকলোতে গঢ়ি উঠিল এনে ধৰণৰ বহুতো কাৰখানা যত হাৰ ভঙা খাটনি অথচ মজুৰি কম সেইবোৰ অন্ধকাৰ আৰু অপৰিষ্কাৰ। তেওঁলোকক সেইবোৰত নিযুক্ত কৰা হল। বাৰমপৰা ষোল বছৰ বয়সৰ ল'ৰা-ছোৱালীবোৰক অতি কম দৰ্মহাত। এওঁ-লোকে দিনে দহৰপৰা বাৰ ঘণ্টালৈকে কাম কৰিব লগীয়া হল। নিবনুৱা জীৱনৰ অসহনীয় হেচাত এই সৰু সৰু লৰা-ছোৱালীবোৰ অভিভূত হৈ পৰিছিল আৰু বহুতো মালিকে এই যুগটো কামত খটাই ললে—তেওঁলোকৰ কল-কাৰখানাত এওঁলোকৰ দীঘলীয়া সময় আৰু কঠোৰ পৰিশ্ৰম আদায় কৰি। এনেদৰে বাণিজ্য সংকটৰ ফলত আমেৰিকাত আকৌ শিশু শ্ৰমিকৰ ব্যৱস্থা প্ৰচলিত হৈ গল। শিশু শ্ৰমিক নিয়োগ আৰু আন আন কু প্ৰথা নিষিদ্ধ কৰি যিবোৰ শ্ৰম আইন প্ৰচাৰ হৈছিল, সেইবোৰ মানুহে দেখাদেখিকৈ অস্বীকাৰ কৰিলে।

মনত ৰাখিবা, আমেৰিকাই হওক বা আৰু পৃথিৱীৰ আন আন দেশকে হওক, খাদ্য সামগ্ৰী বা শিল্পজাত বস্তুৰ অভাৱ হোৱা নাছিল। আনকি প্ৰয়োজনৰ তুলনাত বস্তু বেছি হৈ পৰিছিল, উৎপাদনত বাহুল্য ঘটিছিল এইটোৱেই আছিল চৰকাৰৰ অভিযোগ। ইংলেণ্ডৰ প্ৰসিদ্ধ অৰ্থনীতিবিদ আছিল চাৰ হেনৰী ষ্ট্ৰাকোচে কৈছিল যে ১৯৩১ চনৰ জুলাই মাহত অৰ্থাৎ বাণিজ্য সংকটৰ দ্বিতীয় বছৰতো পৃথিৱীৰ বজাৰত ইমান মালবস্তু মজুত আছিল যে তাৰ দ্বাৰা পৃথিৱীৰ সকলো মানুহকে তেওঁলোকে যি দৰে খোৱাৰ অভ্যাস আছিল তেনেদৰে আৰু দুবছৰ তিনিমাহ কাল খুৱাই ৰাখিব পৰা হলহেঁতেন, এই সময়ছোৱাত কোনোৱে কণো যদি এক তিল মানো কাম নকৰে তথাপিও। কথাটো ভাবি চাবলগীয়া, অথচ ঠিক সেই সময়-খিনিতে পৃথিৱীত এনে এটি ভয়াবহ অভাৱ আৰু অনাহাৰৰ খেলা আমি দেখিছো আধুনিক শিল্পতন্ত্ৰী জগতৰ তেনেকুৱা আৰু কতো দেখা নাই। একালে মানুহ অভাৱত শুকাই মৰিছে আনকালে তাৰেই ওচৰা-উচৰি কৰি ৰাশি-ৰাশি খাদ্য বস্তু স্বেচ্ছাৰে নষ্ট কৰি পেলোৱা হৈছে। চপাবলগীয়া শস্য ইচ্ছা কৰিয়েই চপোৱা নাই পথাৰৰ শস্য পথাৰতে পচি জহি থাকি গৈছিল গছৰ ফল গছতে পচি যাবলৈ দিয়া হৈছিল, বহুতো বস্তু-বাহানী প্ৰকৃততে নষ্ট কৰি পেলোৱা হৈছিল। এটা মাথোন উদাহৰণ তোমাক দিছো, ব্ৰাজিলত ১৯৩১ চনৰ জুনৰ মাহৰপৰা ১৯৩৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত ১,৪০,০০,০০০ বস্তাৰো বেছি কফি নষ্ট কৰি পেলোৱা হৈছিল। এবস্তাত ১৩২ পৰ্যন্ত কৰি কফি থাকে, এতেকে এইভাবে মুঠতে কফি নষ্ট কৰা হৈছিল ১,৮৪,৮০,০০,০০০ পাউণ্ডৰো বেছি। প্ৰত্যেকজন মানুহক এক পাউণ্ড কৰি দিলেও ইয়াৰ পৃথিৱীৰ সকলো মানুহকে দিও অলপ বাকী থাকিলহেঁতেন। অথচ আমি জানো লাখ লাখ মানুহ আছিল, যিসকলে অলপ কফি পালে বাচি যায় অথচ তাকে কিনিবৰ বাবে তেওঁলোকৰ পইচা নাই। কেৱল কফি নহয়— গম তুলা আদি বহুতো বস্তু এনেদৰে নষ্ট কৰি পেলোৱা হৈছিল। তুলা, গমৰ, চাহ আদিৰ বীজ বোৱাৰ পৰিমাণ কমাই দি ভৱিষ্যতলৈ

যাতে উৎপাদন কম হব পাৰে তাৰ ব্যৱস্থা কৰা হৈছিল। এইদৰে বস্তু-বাহানি নষ্ট কৰা, উৎপাদনৰ পৰিমাণ কমাই দিয়া, এইবোৰ সকলো কৰা হৈছিল কৃষিজাত বস্তুৰ বজাৰদৰ বঢ়াই দিবৰ কাৰণে,—বস্তুৰ নাটনি পৰিলে মানুহৰ চাহিদা বাঢ়িব বস্তু-বাহানিৰ দাম বাঢ়ি যাব। যি কৃষকে বজাৰত তেতিয়া বস্তু বেচিব তেওঁৰ লাভ হব। কিন্তু কিনোতাৰ ? আমাৰ এই পৃথিৱীখন সঁচাকৈয়ে ভাল ঠাই—ইয়াত প্ৰয়োজনতকৈ যদি কম বস্তু উৎপন্ন হয় তেন্তে দাম বাঢ়ি যাব এনেদৰে বাঢ়িব যে বেছিভাগ মানুহেই বস্তু-বাহানি কিনিব নোৱাৰিব। এতেকে মানুহে অভাৱত অনাহাৰত মৰিব। আকৌ যদি প্ৰয়োজনতকৈ বেছি উৎপন্ন হয় তেতিয়া বস্তুৰ দাম ইমান কমি যাব যে, শিল্প আৰু কৃষি একেবাৰে অচল হৈ পৰিব, শ্ৰমিক সকল নিৰনুৱা হৈ পৰিব, আৰু নিৰনুৱা। মানুহে বস্তু কিনিবই বা কেনেকৈ কিনিবলৈ পইচা যে তেওঁলোকৰ নাই, অৰ্থাৎ যি কালেদি চোৱা বস্তুৰ প্ৰাচুৰ্য্যই থাকক বা অনাটনেই থাওক জনসাধাৰণৰ কপালত অনাহাৰেই লেখা আছে।

আগতে কৈছো সংকটৰ সময়তো আমেৰিকা বা আন কতো বস্তুৰ অভাৱ নাছিল। কৃষক সকলৰ হাতৰ কৃষিজাত পণ্য বস্তু আছিল, সেইবোৰ তেওঁলোকে বেচিব পৰা নাছিল, চহৰৰ লোক সকলৰ হাতত আছিল শিল্পজাত বস্তু, তেওঁলোকেও বেচিব পৰা নাছিল অথচ দুয়ো পক্ষই বিচাৰিছিল ইটোৱে সিটোৰ বস্তুটো পাবলৈ আশা কৰক। বেচা-কিনাৰ বেপাৰেই বন্ধ হৈ গল, কাৰণ দুয়োৰে হাতৰ টকাৰ অভাৱ। তেতিয়া আমেৰিকাই শিল্প প্ৰগতিৰ চৰম সীমা পাইছেগৈ। সুসভ্য পুঁজিবাদী দেশ আমেৰিকাত বহুতো লোকে সেই পুৰণি যুগৰ দৰে বস্তু বিনিময় কৰিবলৈ আৰম্ভ কৰিলে। অতি পুৰণি কালত যেতিয়া মুদ্ৰাৰ ব্যৱহাৰ মানুহে শিকা নাছিল, তেতিয়া পৃথিৱীত বস্তু বিনিময়ৰ প্ৰচলন আছিল। আমেৰিকাত শ শ বস্তু বিনিময় প্ৰতিষ্ঠান গঢ়ি উঠিল। বস্তু-বাহানি কিনাবেচাৰ যি ৰীতি পুঁজিবাদী সমাজত প্ৰচলিত আছিল টকাৰে অভাৱত সি অচল হৈ গল, এতেকে তেতিয়া মানুহে টকা বাদ দি কাম চলাবলৈ আৰম্ভ কৰিলে, বস্তুৰে বস্তুৰে, কামে কামে সাল সলনি কৰি, বহুতো বিনিময় প্ৰতিষ্ঠান প্ৰতিষ্ঠা হল দেশত, এওঁলোকে ৰচিদ আৰু প্ৰমাণ-পত্ৰ দি বস্তু বিনিময়ত সহায় কৰিব ধৰিলে, বস্তু বিনিময়ৰ এটি অপূৰ্ব উদাহৰণ আছে—এটি ওৱাজৰ কাহিনী, তেওঁৰ ল'ৰা-ছোৱালীবোৰে শিশু-বিদ্যালয়ত পঢ়িছিল আৰু তাৰ মূল্য স্বৰূপে তেওঁ শিশু বিদ্যালয়ক গাখীৰ, মাখন আৰু কণী দিছিল, আন আন দেশতো বস্তুৰ বিনিময় কিছু পৰিমাণে আৰম্ভ হল। আন্তৰ্জাতিক মুদ্ৰা বিনিময় জটিল ব্যৱস্থাটোও ভাঙি পৰিছে, এতেকে দেশে দেশে বস্তু বিনিময়ৰ ব্যৱস্থা অলপ অলপ দেখা গল। ইংলেণ্ডত কয়লা দি তাৰ পৰিবৰ্তে স্কানডিনেভিয়াৰপৰা কাঠ কিনিলে ; কানাডাই ইয়াৰ এলুমিনিয়াম দি ছোভিয়েট ৰুচিয়াৰপৰা তেল কিনিলে। যুক্তৰাষ্ট্ৰই ব্ৰাজিলক ঘেঁহু দি তাৰ সলনি কফি।

ব্যৱসায়ৰ এই অৱস্থাৰ কাৰণে আমেৰিকাৰ কৃষকবোৰ অতি বিপদত পৰিল। খেতিৰ পথাৰ বন্ধক দি তেওঁলোকে বেংকৰপৰা টকা ধাৰে লৈছিল। সেই টকা শোধ কৰিব নোৱাৰিলে। বেংকবোৰে তেতিয়া তেওঁলোকৰ খেতিপথাৰ বেচি ধাৰ আদায়ৰ চেষ্টা চলালে। কিন্তু কৃষকসকল তাত ৰাজী নহয়। তেওঁলোকে দল

বাকী থিব হল। সংগ্ৰাম পৰিষদ গঠন কৰিলে, যাতে এনেদৰে তেওঁলোকৰ খেতিৰ মাটি নিলামী কৰিব নোৱাৰে; তাৰ ফলত কৃষকৰ মাটি যেতিয়া নীলামত দিয়া হল সেই নীলামত ডাকিবলৈ কোনেও সাহ নকৰিলে। বাধ্য হৈ তেতিয়া বেংকবোৰে কৃষকসকলৰ চৰ্তকে মানি লবলগীয়াত পৰিল। সংকটৰ প্ৰাদুৰ্ভাৱ বাঢ়ি অহাৰ লগে লগে আমেৰিকাৰ এই ৰক্ষণশীল কৃষকবোৰো বেছি ৰকমে [illegible] বিপ্লৱী পন্থী হৈ উঠিল।

আমেৰিকাৰ এই কৃষকসকলৰ আন্দোলনটো লক্ষ্য কৰিবলগীয়া, কাৰণ সেইটো সম্পূৰ্ণৰূপে নিজৰ সমাজতন্ত্ৰবাদ কমিউনিজিমৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। এই ৰক্ষণশীল কৃষকসকল হৈছে আমেৰিকাৰ পুৰণি বাসিন্দা, এওঁলোকেই চিৰদিন দেশৰ মেৰুদণ্ড স্বৰূপ হৈ আছে। কিন্তু এওঁলোক আছিল মধ্যবিত্ত কৃষক, মাটিত তেওঁলোকৰ নিজা অধিকাৰ আছিল, আৰ্থিক দুৰ্গতিৰ কাৰণে এওঁলোক ক্ৰমে পৰিণত হৈছে কৃষি বনুৱাত, কেৱল খেতিয়েই কৰিছে, নিজৰ মাটি বুলিবলৈ এওঁলোকৰ একো নোহোৱা হৈছে, এওঁলোকৰ কথা হৈছে—"আইনৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰতকৈ মানুহৰ জীয়াই থকাৰ অধিকাৰ বহুত ডাঙৰ। মাটিৰ প্ৰথম বন্ধক হৈছে তিৰোতা আৰু সন্তানসকলৰ হাতত।" ইত্যাদি।

যুক্তৰাষ্ট্ৰৰ অৱস্থাৰ বিষয়ে বহুতো কথা কলো। কাৰণ আমেৰিকা বহুত ফালৰপৰাই এখন আচৰিত দেশ। পুঁজিবাদী দেশসমূহৰ ভিতৰত ইয়েই সকলোতকৈ বেছি উন্নত। য়ুৰোপ আৰু এচিয়াত যেনে এটি অতীত কথা সামন্ত প্ৰথা আছে ইয়াত সেইটো নাই। এই কাৰণেই ইয়াত ৰব বেগেৰে পৰিৱৰ্তন হব পাৰে। আন আন দেশৰ লোকে জনসাধাৰণৰ অভাৱ অনাটন সদায় দেখি আছে, আমেৰিকাত জনসাধাৰণ এনে ব্যাপক দুখ-দুৰ্দশা আগতে কেতিয়াও দেখা নাই তাৰ কাৰণেই এই অৱস্থা দেখি এওঁলোক ৰব বিহ্বল হৈ পৰিছিল। আমেৰিকাৰ স্বচ্ছন্দ যিবোৰ কথা কলো, তাৰপৰাই বুজিব পাৰিবা সংকটৰ সময়ত আন দেশৰ অৱস্থা কি হৈছিল। বহুতো দেশৰ অৱস্থা ইয়াতকৈ বেছি বেয়া আছিল। অৱশ্যে কোনো কোনো দেশৰ অৱস্থা ইয়াতকৈ অলপ ভালো আছিল। মুঠৰ ওপৰত কবলৈ গলে, উন্নত শিল্পতন্ত্ৰী দেশসমূহৰ অৱস্থা যিমান বেয়া আছিল, কৃষিপ্ৰধান আৰু অনুন্নত দেশবোৰত সিমান হোৱা নাছিল। অনুন্নত বুলিয়েই তেওঁলোকে ইয়াৰ হাতৰপৰা বহুখিনি ৰক্ষা পৰিছে। এওঁলোকৰ প্ৰধান বিপদ আছিল কৃষিজাত বস্তুৰ মূল্য হ্ৰাস। কৃষকসকল তাৰ ফলত ৰব বেছি অসুবিধাত পৰিছিল। অষ্ট্ৰেলিয়া প্ৰধানতে কৃষিপ্ৰধান দেশ, কৃষিজাত বস্তুৰ দাম কমি গল বুলিয়েই ইংলেণ্ডৰ বেঙ্কৰ ওচৰত ইয়াৰ যি দিবলগীয়া আছিল, সেইবোৰ শেষ কৰিব নোৱাৰি তেতিয়া তেওঁলোকে প্ৰায় দেউলীয়া হোৱাৰ উপক্ৰম হৈছিল, নিজক বচাবৰ কাৰণে বাধ্য হৈ ইংলেণ্ডৰ বেঙ্কৰ মালিকসকলে যি চৰ্ত দিলে তাকে মানি লবলগীয়া হ'ল। অতি কঠোৰ সেই চৰ্তবোৰ। সংকটৰ মুহূৰ্তত যি শ্ৰেণীৰ শ্ৰীবৃদ্ধি হয়, আনৰ ওপৰত প্ৰভুত্ব কৰাৰ সুযোগ আছে সেই বেঙ্কৰ মালিকসকলৰ শ্ৰেণীটোক।

দক্ষিণ আমেৰিকাৰ দেশবোৰে যুক্তৰাষ্ট্ৰৰপৰা যি টকা ধাৰ পাইছিল, সেইটো বন্ধ হৈ গল, তাৰ ফলত আৰু বাণিজ্যত মন্দা বজাৰে দেখা দিয়াৰ ফলত সেই দেশত

বিষম সংকটে দেখা দিলে। প্ৰায় সকলো প্ৰজাতন্ত্ৰী চৰকাৰ সেই হেঁচাত পতন হবলগীয়া হল। চৰকাৰ মানে যিবোৰ ডিক্টেটৰ তাত প্ৰতিষ্ঠিত আছিল সেইবোৰ। দক্ষিণৰ সকলোতে বিপ্লৱ ঘটিব ধৰিলে। ইয়াৰ ডাঙৰ তিনিখন দেশ হৈছে আৰ্জেণ্টিনা ব্ৰাজিল আৰু চিলি,—যাক সংক্ষেপতে কোৱা হয় এ, বি, চি দেশ—সেইবোৰো বিপ্লৱৰ পৰা ৰক্ষা নপৰিল। অৱশ্যে দক্ষিণ আমেৰিকাত বিপ্লৱত যি হৈছিল—এইবোৰত তাৰ বেছি নহয়, ই কেৱল—বিপ্লৱ, ইয়াত কেৱল কিসকল কৰ্তৃত্বত আছিল, কৰ্তৃপক্ষ বা ডিক্টেটৰসকল, তেওঁলোকৰ সলনি হল সৈন্য বাহিনী বা পুলিচ বাহিনী যিজনৰ ইঙ্গিতত চলিছে, তেওঁলোকে তাত দেশ শাসন কৰিছে। দক্ষিণ আমেৰিকাৰ প্ৰত্যেকখন ৰাষ্ট্ৰই বৰ বেচি ধাৰত পোত খাই আছিল, এওঁলোকৰ প্ৰায় সকলোৱেই দিলগীয়া টকাৰ কিস্তি সোধাৰ পৰা নাছিল।

১৮৫

সংকটৰ হেতু

২১ জুলাই, ১৯৩৩

বিশ্ব সঙ্কটে গোটেই পৃথিৱীৰ টেঁটু চেপি ধৰিছে। য'ত যি অলপ কাম চলিছিল তাৰ উপায় বন্ধ কৰি পেলাইছে, বা তাক প্ৰায় বন্ধ কৰি পেলাইছে। বহু ঠাইত শিল্পৰ বথৰ চকৰি অচল হৈ গৈছে, যি পথাৰত এদিন খাদ্য বা অন্য শস্য উৎপন্ন হৈছিল, সেইবোৰ এতিয়া এনেয়ে চন পৰি আছে। ৰবৰ গছবোৰৰ ৰবৰৰ ৰস নিগৰি পৰিছে, তাক কোনোৱে আহৰণ নকৰা হৈছে, এদিন যি পাহাৰ আটোমটোকাৰিকৈ যথা চাহ বাগিচাৰে ঢাক খাই আছিল, এতিয়া সেইবোৰ জংঘল হৈ পৰি আছে, তাৰ যত্ন কৰিবলৈ মানুহ নাই। এই সকলো কাম যিসকলে কৰি আহিছিল তেওঁলোক গৈ যোগ দিছে নিবনুৱাৰ দলত, কামৰ কাৰণে অপেক্ষা কৰিছে, চাকৰিৰ কাৰণে আশা পালি আছে—কিন্তু সেই চাকৰি পোৱাৰ সম্ভাৱনা নাই। ইতিমধ্যে সহায়হীন, আশ্ৰয়হীন মানুহৰ দল ভোকত, অভাৱত ভাগৰি পৰি অৱশ হৈ মৃত্যুৰ মুখলৈ আগুৱাই গৈছে। বহুতো দেশৰ আত্মহত্যাৰ সংখ্যা বৰ বেছি ৰকমে বাঢ়ি গৈছে।

গোটেই শিল্পৰ ওপৰতেই এই সঙ্কটৰ ছাঁ পৰিছিল। কিন্তু এটা শিল্পৰ কোনো ব্যতিক্ৰম হোৱা নাছিল,—সেইটো হৈছে অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণৰ শিল্প। বিভিন্ন দেশৰ সৈন্য বাহিনী, নৌ-বাহিনী আৰু বিমান বাহিনীক অস্ত্ৰ-শস্ত্ৰ ৰণসম্ভাৰ যোগোৱাত ই ব্যস্ত আছিল। এইবোৰৰ ব্যৱসায়--আৰু বাঢ়িবহে ধৰিলে, আৰু তাৰ অংশীদাৰ সকলে বৰ বেছি লাভৰ অংশ পাব ধৰিলে, বাণিজ্য সংকটত এই ব্যৱসায়ৰ লোকচান হোৱা নাছিল, কাৰণ ইয়াৰ কাৰবাৰেই হৈছে জাতিসমূহৰ ভিতৰত থকা অবিশ্বাস আৰু বিদ্বেষ লৈ, সঙ্কটৰ হেঁচাত পৰি সেই অবিশ্বাস তথা বিদ্বেষ আৰু বাঢ়িছিল।

পৃথিৱীৰ ভিতৰত এটি ডাঙৰ অঞ্চলে এই সঙ্কটবোৰ ৰক্ষা পালে,—সেইখন হৈছে, চোভিয়েট ৰুছিয়া। তাত নিবনুৱা সমস্যাই দেখা নিদিলে, আনকি পাঁচ-বছৰীয়া পৰিকল্পনাৰ কাম-কাজ আৰু বেছি জোৰে চলিব ধৰিলে, এই দেশখন আছিল পুঁজিবাদী দেশৰ আয়ত্তৰ বাহিৰত, ইয়াৰ অৰ্থনৈতিক অৱস্থাও বেলেগ ধৰণৰ। তথাপি সঙ্কটৰ ফলত পৰোক্ষভাৱে অলপ ক্ষতি সেই দেশেও স্বীকাৰ কৰিব লগীয়া হ'ল, কাৰণ বাহিৰত বেচা কৃষিজাত বস্তুৰ দাম কম পালে।

এই ভীষণ বাণিজ্য সঙ্কট, এই বিশ্বজোৰা মহাসঙ্কট, বিশ্ব যুদ্ধৰ দৰেই আৰু ভয়াবহ ৰূপ ইয়াৰ উত্তালনো হ'ল কেনেকৈ ? আমি ইয়াক কৈছো পুঁজিবাদৰ সঙ্কট, কাৰণ পুঁজিবাদৰ বিৰাট আৰু জটিল যন্ত্ৰটো ইয়াতচেপা খাই ভাঙি চিঙি গৈছিল। পুঁজিবাদক এনেদৰে ভাঙোনে ধৰিলে কিয় ? আৰু এই যে সঙ্কট, ই কি এটা কেবল সাময়িক ব্যাধি ? ইয়াৰ প্ৰকোপৰপৰা মুক্ত হৈ আকৌ পুঁজিবাদ সুস্থ হৈ জী উঠিবনে ? নে ইয়ে তাৰ মৃত্যু কাল,— ইমান দিনে ধৰি পৃথিৱীত প্ৰভুত্ব চলাই আহিল যি ব্যৱস্থাই এইবাটেৰেই ই শেষ হৈ যাবনে ? এনে ধৰণৰ বহুতো প্ৰশ্ন আজি উঠিছে, আমাৰ মনক অভিভূত কৰি তুলিছে, কাৰণ ইয়াৰ উত্তৰৰ ওপৰতে নিৰ্ভৰ কৰিছে, মানৱ জাতিৰ ভৱিষ্যত, আমাৰ নিজৰ ভৱিষ্যত। ১৯৩২ চনৰ ডিচেম্বৰ মাহত বৃটিছ চৰকাৰে আমেৰিকা চৰকাৰলৈ এখন চিঠি পঠিয়ালে, গোহাৰি জনালে, যুদ্ধৰ কাৰণে আমেৰিকাক তেওঁলোকে যি দিবলগীয়া আছে, তাক পৰিশোধৰপৰা। তেওঁলোকক অব্যাহতি দিয়ক, এই চিঠিত তেওঁলোকে লেখিলে, এই বেমাৰ একস্ৰাৱৰ কাৰণে বিৰোৰ ঔষধ আমি ব্যৱহাৰ কৰিছিলো, তাৰপৰা কেবল বেমাৰহে বাঢ়িছে, "প্ৰত্যেক কথাতে আমি কৰৰ পৰিমাণ নিৰ্মম-ভাৱে বঢ়াই দিছোঁ, খৰছো বিমান সম্ভৱ কমাই আনিছো। কিন্তু বিপদৰপৰা মুক্তি পোৱাৰ আশাত যি ব্যয়সঙ্কোচৰ—ব্যৱস্থা কৰিছো তাৰপৰা কেবল বিপদৰ মাত্ৰা চৰিছেহে।" চিঠিখনৰ আৰু এঠাইত লেখিছিল মানুহৰ এই ক্ষতি বা বা দুখ ভোগ, ই বিশ্ব প্ৰকৃতিৰ কৃপণালীৰ কাৰণে হোৱা নাই। পদাৰ্থ বিজ্ঞানৰ জয় যাত্ৰা আজিও অব্যাহত গতিত আগুৱাই গৈ আছে, ধন উৎপাদনৰ যি অসীম সম্ভাৱনা আমাৰ হাতত আছিল, তাৰ অস্তিত্ব অলপো ক্ষুণ্ণ হোৱা নাই।' দোষ বিশ্ব প্ৰকৃতিৰ নহয়—দোষ মানুহৰ, তেওঁলোকে যি ব্যৱস্থা গঢ়ি তুলিছে তাৰ।

পুঁজিবাদৰ এই বেমাৰৰ নিৰ্ভুল কাৰণ উলিওৱা বা তাৰ অব্যৰ্থ ঔষধৰ ব্যৱস্থা কৰা সহজ কথা নহয়। আমি ভাবো অৰ্থনীতিবিদসকলে এই বিষয়ে সকলো জানে, সকলো বুজে, অথচ তেওঁলোকৰ মাজতেই ইয়াৰ সম্বন্দ মতভেদৰ শেষ নাই। প্ৰত্যেকেই বেলেগ বেলেগ ধৰণৰ কাৰণ নিৰ্দেশ কৰিছে আৰু প্ৰত্যে-কেই বেলেগ বেলেগ ধৰণৰ প্ৰতিকাৰৰ ব্যৱস্থা দেখুৱাইছে। এই বিষয়ে স্পষ্ট ধাৰণা আছে বোধহয় একমাত্ৰ কমিউনিষ্ট আৰু সমাজতন্ত্ৰীবাদী সকলৰ তেওঁলোকে পুঁজিবাদৰ এই ভাঙোনক তেওঁলোকৰ মতবাদৰ সত্যতাৰ প্ৰমাণ বুলি ধৰি লৈছে। পুঁজিবাদী পণ্ডিতসকলে খোলাখুলিভাৱেই হতভম্ব হৈছে আৰু বিমো-ৰত পৰিছে, বৃটেনৰ মহাজনসকলৰ ভিতৰত শ্ৰেষ্ঠ আৰু যোগ্য লোক হৈছে মণ্টেগু নৰমেন। বেঙ্ক অব ইংলেণ্ডৰ তেওঁ গভৰ্ণৰ। কেইমাহমান আগতে এখন বাজহুৱা সভাত তেওঁ কৈছিল, "অৰ্থনৈতিক ক্ষেত্ৰত যি সমস্যাই দেখা দিছে, তাক বিশ্লেষণ কৰা মোৰ শক্তিৰ অবুল্য, বিমোৰ বিপদ-বিঘিনি সৃষ্টি হৈছে, তাৰ সংখ্যা ইমান বেছি, ইমান অভিনৱ আৰু এনে অভূতপূৰ্ব যে ইয়াৰ আলোচনা মই কৰিব লাগিব, সম্পূৰ্ণ অজ্ঞাত আৰু অক্ষমতা স্বীকাৰ কৰিছে। ই মোৰ বুজা শক্তিৰ বাহিৰত। ভৱিষ্যতৰ কথা কব লাগিলে, হয়তো অন্ধকাৰ সুৰঙ্গৰ সিপাৰত পোহৰৰ জেউতি দেখা যাব, কোনো কোনোৱে সেই পোহৰৰ আভাস দেখিবলৈ পাইছেও।" কিন্তু সেই সেই পোহৰ কেবল উল্কাৰ জুই; মিছা মৰীচিকা, আমাৰ মনত সেই আশা জগাই

তুলিছে কেৱল আকৌ নিৰাশ কৰিবলৈহে। বৃটেনৰ এজন প্ৰসিদ্ধ ৰাষ্ট্ৰনীতিবিদ চাৰ অকলেণ্ড গেদিচ। তেওঁ কৈছে, চিন্তাশীল লোকসকলৰ ধাৰণা হৈছে, সমাজৰ ভাঙোন এই আৰম্ভ হল। আমি বিসকল য়ুৰোপত আছো আমি জানো যে এটা যুগৰ মৃত্যু হৈছে।"

জাৰ্মাণসকলে কয় এই সঙ্কটৰ মূল কাৰণ হ'ল যুদ্ধৰ ক্ষতিপূৰণ আদায় আৰু বহুতে কয় সঙ্কটৰ সৃষ্টি হ'ল যুদ্ধৰ ধাৰবপৰা, এখন দেশৰ ওচৰত আন এখন দেশৰ ধাৰ আৰু দেশৰ ভিতৰতে থকা ধাৰ, —এই ধাৰৰ বোজা ক্ৰমে ইমান বেছি হৈ উঠিছে যে তাক আৰু বহন কৰিব নোৱাৰা হৈছে, তাৰ হেঁচাত সকলো শিল্প ব্যৱসায় ভাঙি চুড়মাৰ হৈ গৈছে। এইদৰে পৃথিৱীৰ অশান্তিৰ কাৰণে এই যুদ্ধকেই দায়ী কৰা হৈছে। অৰ্থনীতিবিদসকলে বহুতেই ভাবে আচলতে দোষ হৈছে টকাৰ অদ্ভুত আচৰণৰপৰা আৰু বস্তুৰ মূল্যও বৰ বেছি ৰকম কমি যোৱাৰ কাৰণে। তাৰ মূলতে আকৌ আছে সোণৰ নাটনি—সোণৰ অভাৱ হৈছে পৃথিৱীত, তাৰ কাৰণ পৃথিৱীত যিমান সোণৰ দৰকাৰ সিমান সোণ খনিৰপৰা তুলিব পৰা নাই, তাতকৈও ডাঙৰ কাৰণ, প্ৰত্যেক দেশৰে চৰকাৰে যিমান সম্ভৱ সোণ নিজে মজুত কৰি ৰাখিছে আনবোৰে আকৌ কয়—সকলো গোলমালৰ মূল হ'ল অৰ্থনৈতিক জাতীয়তাবাদ, বাণিজ্য শুল্ক আৰু বস্তু শুল্ক, ইয়াৰ ফলতে আন্তৰ্জাতিক বাণিজ্যত বাধা পৰিছে। এদলে কয় নহয়— ইয়াৰ কাৰণ হ'ল উৎপাদন পদ্ধতি বা বৈজ্ঞানিক কাৰ্য প্ৰণালীৰ অতি উৎকৰ্ষতা সাধন, তাৰ ফলতেই প্ৰয়োজনীয় শ্ৰমিকৰ সংখ্যা দিনে দিনে কমি গৈছে, নিবনুৱা সমস্যা বাঢ়ি গৈছে।

ইয়াৰ উপৰিও আৰু বহুত কাৰণ বহুতে নিৰ্দেশ কৰিছে। এইবোৰ কাৰণ দেখুৱাৰ গুৰিতে যুক্তিও হয়তো আছে, হয়তো এই সকলোবোৰ কাৰণ গোটখায়েই পৃথিৱীত এই বিপৰ্যয় গঢ়ি তুলিছে। কিন্তু এই সঙ্কটৰ সৃষ্টি কৰাৰ অপৰাধ বিশেষ কোনো কাৰণৰ ওপৰত জাপি দিয়াতো উচিত নহব। প্ৰকৃততে কাৰণ বুলি এই যিমানবোৰ বিষয়ৰ নাম কোৱা হল তাৰ ভিতৰত বহুতো এই সঙ্কটৰেই ফল। অৱশ্যে তাৰ প্ৰত্যেকটোৱেই আকৌ সঙ্কটক ভীষণ কৰিও তুলিছে। ইয়াৰ কাৰণ বিচাৰিব লাগিলে বহুতো। অত কেৱল যুদ্ধত পৰাজয়ৰ ফলত এই সঙ্কট অহা নাই। কাৰণ বিজয়ী সকলে ইয়াৰ ভিতৰত সাঙোৰ খাই পৰিছে, কেৱল জাতিৰ দৰিদ্ৰতাৰ ফলতে ই সৃষ্টি হোৱা নাই, কাৰণ পৃথিৱীৰ সকলোতকৈ ধনী দেশ আমেৰিকাতো ইয়াৰ প্ৰকোপ কম হোৱা নাছিল। বিশ্বযুদ্ধৰ কাৰণে এই সঙ্কটৰ আবিৰ্ভাৱ খৰতকীয়াকৈ হৈছিল। যুদ্ধৰ কাৰণে ধাৰৰ বোজা সকলোৰে কান্ধত পৰিছিল, আৰু সেই ধাৰৰ টকা ধাৰ দিওঁতাসকলৰ মাজত বিদৰে ভাগ হৈছিল, সিও যুদ্ধৰেই সৃষ্টি। তাৰ উপৰি যুদ্ধৰ সময়ত আৰু যুদ্ধৰ পিছতো কিছু বছৰ ধৰি বস্ত-বাহানিৰ দাম বৰ বেছি আছিল, সেইটো আছিল মানুহেই গঢ়া, কৃত্ৰিম।

শুনা যায় যে বস্তুৰ বাহুল্যই এই সঙ্কটৰ আচল কাৰণ, কথাটো গোলমলীয়া, লাখ লাখ মানুহে যত জীৱনৰ অতি প্ৰয়োজনীয় বস্তুবিলাকো পোৱা নাই, তাত বস্তুৰ বাহুল্য থাকিবই নোৱাৰে। ভাৰতবৰ্ষত আজি লাখ লাখ কোটি কোটি মানুহৰ

পিন্ধিবৰ কাপোৰ খিনিও নিকিলে, অথচ শুনিছো ভাৰতবৰ্ষত কাপোৰৰ কলবোৰত, খাদী ভাণ্ডাৰবোৰত হেনো প্ৰচুৰ কাপোৰ জমা হৈছে—কাপোৰৰ হেনো উৎপাদন বাহুল্য হৈছে এই ভাৰতবৰ্ষত। আচল কথা হৈছে মানুহ ইমান দুখীয়া হৈ গৈছে, যে কাপোৰ কিনাৰ সামৰ্থ্যই তেওঁলোকৰ নাই—কাপোৰৰ প্ৰয়োজন তেওঁলোকৰ নোহোৱাতো ভুল। মানুহৰ অভাৱ হৈছে টকাৰ। টকাৰ অভাৱ মানে এইটো নহয় যে পৃথিৱীৰপৰা গোটেই টকা নোহোৱা হৈ গৈছে। ইয়াৰ মানে হৈছে, পৃথিৱীৰ সকলোতে মানুহৰ মাজত যি টকা সিঁচৰতি হৈ আছিল তাৰ সেই বিতৰণ নীতি সলনি হৈ গৈছে, এতিয়াও বহুতো সলনি হব ধৰিছে, তাৰ মানে ধনৰ বিতৰণত অসমতাই দেখা দিছে। একালে গঢ়ি উঠিছে ধনৰ বাহুল্য—ইমান ধনেৰে কি কৰিব সেইটোকে মালিকসকলে ভাবি পোৱা নাই, বাধ্য হৈ তেওঁলোকে কেৱল সেই ধন জমা কৰিয়েই গৈছে, বেঙ্কৰ বহীত তেওঁলোকৰ জমা টকা ভৰি পৰিছে। এই টকা জমা হৈ আছে বেঙ্কত, বজাৰত বস্তু কিনাৰ নামত ই ব্যৱহাৰ হোৱা নাই। আনফালে তেনেকৈ দেখা দিছে ধনৰ ভীষণ অভাৱ, যি বস্তু তেওঁলোকৰ একান্ত প্ৰয়োজন তাকো তেওঁলোকে কিনিব পৰা নাই, টকাৰ অভাৱত।

পৃথিৱীত ধনী আৰু দুখীয়াৰ প্ৰভেদ আছে—ইয়াৰ যেন কেৱল তাকেই কোৱা হ'ল। কিন্তু এই কথাটো সকলোৱেই জানে, ইয়াৰ কাৰণে যুক্তি প্ৰমাণৰ আৱশ্যক নাই। ধনী আৰু দৰিদ্ৰৰ এই পাৰ্থক্যতো ইতিহাসৰ প্ৰথম দিনৰপৰাই চলি আহিছে। তেন্তে এইবাৰৰ এই সঙ্কটৰ দোষখিনিও ইয়াৰ ওপৰতে জাপি দিবলৈ বিচৰাতো জানো উচিত হৈছে? বোধকৰো ইয়াৰ আগৰ এখন চিঠিত তোমাক কৈছিলো পুঁজিবাদী ব্যৱস্থাৰ নিয়মেই হৈছে ধন বিতৰণৰ এই বৈষম্যক আৰু বঢ়াই তোলা। সামন্তবাদৰ যুগত এওঁলোকৰ প্ৰভেদতো প্ৰায় ধৰা বন্ধা ধৰণৰ আছিল, বা সলনি হলেও কেৱল সামান্য সলনিহে হৈছিল। পুঁজিবাদৰ আছে ডাঙৰ ডাঙৰ কল-কাৰখানা, আছে পৃথিৱীজোৰা বজাৰ; ইয়াৰ গতি বৰ খৰতকীয়া। এতেকে ব্যক্তি বা দল বিশেষৰ হাতত ধন সম্পত্তি জমা হৈ উঠাৰ লগে লগে সমাজৰ মাজতো অতি বেগেৰে পৰিবৰ্ত্তন আৰম্ভ হ'ল। ধন বিতৰণৰ মাজেৰে বৈষম্য বাঢ়িল, তাৰ লগত আহি যোগ দিলে আৰু নানা বিধ কাৰণ, সকলোৱে মিলি চেষ্টা কৰিলে এটা নতুন ধৰণৰ সংগ্ৰামৰ—শিল্প প্ৰধান দেশবোৰত শ্ৰমিক আৰু ধনী মহাজনসকলৰ ভিতৰত যুঁজ লাগিল। এইবোৰ দেশৰ ধনী লোকসকলে তেতিয়া নিজৰ দেশৰ শ্ৰমিক সকলক অলপ বেছি দৰ্মহা অলপ ভাল জীৱনযাত্ৰাৰ ব্যৱস্থা আদি নানা প্ৰকাৰ অনুগ্ৰহেৰে বিবোধৰ তীব্ৰতা কমাই আনিলে। ইয়াৰ টকা সংগ্ৰহ কৰা হ'ল উপনিবেশ আৰু অনুন্নত দেশবোৰক শোষণ কৰি। এইভাৱে এচিয়া, আমেৰিকা, দক্ষিণ আমেৰিকা আৰু পূব য়ুৰোপ শোষণ কৰি পশ্চিম য়ুৰোপ আৰু উত্তৰ আমেৰিকাৰ দেশবোৰে টকা পইচা জমাই ললে, সেই টকাৰে কিছু সংখ্যা তেওঁলোকে শ্ৰমিকসকলক দিব পাৰিলে। নতুন নতুন বজাৰ আৱিষ্কাৰ হোৱাৰ লগে লগে নতুন নতুন শিল্পত গঢ়ি তোলা হ'ল বা পুৰণি শিল্পবোৰকেই বঢ়াই তোলা হ'ল। সাম্ৰাজ্যবাদী দেশসমূহ তেতিয়া বাহিৰ হ'ল এইবোৰ বজাৰ আৰু কেঁচামাল ক'ত পাব তাৰ অন্বেষণত, বিভিন্ন শিল্পতন্ত্ৰী দেশৰ ভিতৰত ইয়াকে লৈ অৰিয়া-অৰি লাগিল, তাৰপৰাই পিছত বিৰোধ আৰম্ভ হ'ল, ক্ৰমে

গোটেই পৃথিৱীখনেই পুঁজিবাদী দেশবোৰৰ এই শোষণৰ কবলত সোমাল। তেতিয়া আৰু কাৰো নতুনকৈ হাত ভৰি মেলিবৰ ঠাই নোহোৱা হ'ল; এনেতে তেতিয়া এওঁলোকৰ সঙ্কটৰপৰাই সৃষ্টি হ'ল যুদ্ধ।

এইবোৰ কথা মই তোমাক আগতেই কৈছো। তথাপি আকৌ কওঁ বৰ্তমান সঙ্কটৰ স্বৰূপ তুমি বুজিব পাৰা। পুঁজিবাদ যেতিয়া গঢ়ি উঠিছিল, সাম্ৰাজ্যবাদ তেতিয়া বাঢ়ি গৈছিল। সেই যুগৰো এফালে অতিশয় সঞ্চয় আৰু আনফালে খৰচ কৰিবলৈ টকাৰ অভাৱৰ কাৰণে পাশ্চাত্য জগতত বহুবাৰ এই সঙ্কটে দেখা দিছে। কিন্তু সেই সঙ্কটৰ আকৌ সামৰণি পৰিছে, কাৰণ পুঁজিপতিসকলৰ হাতত বেছিকৈ যি ধন জমা হৈ আছিল, সেই টকাৰে তেওঁলোকে তেতিয়া অনুন্নত দেশক গঢ়ি তুলিছে, শোষণ কৰিছে, তাত নতুন বজাৰৰ সৃষ্টি কৰিছে, সেই বজাৰত তেওঁলোকৰ মাল বিক্ৰী কৰিছে। সাম্ৰাজ্যবাদক নাম দিয়া হৈছিল পুঁজিবাদৰ চৰম ৰূপ। সাধাৰণ অৱস্থাত গোটেই পৃথিৱী শিল্পতন্ত্ৰী হৈ নুঠালৈকে এই শোষণৰ কাম চলিব পাৰিছিল। কিন্তু ইয়াৰ সন্মুখত বহুত বাধা বহুত বিঘিনি থিয় দিলেহি। সকলোতকৈ ডাঙৰ বিঘিনি আছিল সাম্ৰাজ্যবাদী জাতিবোৰৰ মাজত হিংস্ৰ প্ৰতিদ্বন্দ্বিতা প্ৰত্যেকেই বিচাৰে সকলোতকৈ ডাঙৰ ভাগটো তেওঁলোকে লব। আৰু এটি বিপদ আছিল উপনিৱেশিক দেশবোৰত জাতীয়তাবাদৰ অভ্যুত্থান। তাৰ পিছত উপনিবেশবোৰত নিজৰ শিল্প গঢ়ি উঠিল। তেওঁলোকৰ বজাৰ তেওঁলোকৰ বস্তুৰেই ভৰি পৰিল। এইবোৰ কাৰণতে যুদ্ধ লাগিছিল। কিন্তু সেই যুদ্ধত পুঁজিবাদীসকলৰ সমস্যাবোৰৰ সমাধান নহল, হোৱা সম্ভৱপৰো নাছিল। প্ৰকাণ্ড এখন দেশ অৰ্থাৎ চোভিয়েট ইউনিয়ন, একেবাৰে পুঁজিবাদী জগতৰপৰা বাহিৰ হৈ গ'ল। তাত আৰু তেওঁলোকৰ বস্তু বেচা নচলিব। প্ৰাচ্য জগতৰ জাতীয়তাবাদৰ ক্ৰমে উগ্ৰ হৈ উঠিব ধৰিলে, শিল্পতন্ত্ৰৰ প্ৰতিষ্ঠা বাঢ়ি উঠিল। যুদ্ধৰ সময়ত আৰু যুদ্ধৰ পিছত বৈজ্ঞানিক প্ৰয়োগ ব্যৱস্থাৰ যি বিষয় উন্নতি হৈছিল তাৰ ফলতো ধন বিতৰণ বৈষম্য আৰু বাঢ়ি গল। নিবনুৱা সমস্যা বাঢ়ি গল। ইয়াৰ উপৰিও আছিল যুদ্ধৰ ঋণ।

এই যুদ্ধৰ ধাৰৰ পৰিমাণ বৰ বেছি। তদুপৰি ইয়াৰ পিছত কোনো বাস্তৱ ধনৰ অস্তিত্ব নাছিল। এখন দেশে যেতিয়া ৰেলৱে, বা জলসিঞ্চন— বা দেশৰ কোনো হিতকৰ কামৰ কাৰণে টকা ধাৰ কৰিছে, তাত যি টকা ধাৰ কৰিলে তাৰ সলনি সঁচাকৈয়ে বস্তুও তেওঁলোকে পাইছে। বহুত সময়ত দেখা যায় এই বস্তুটো গঢ়ি তোলোতে যি ধন লাগিছিল, ইয়াক কামত লগাই ধন উৎপন্ন হৈছে প্ৰকৃততে তাতকৈ বহুত বেছি। সেই কাৰণে এইবোৰক কোৱা হয়— 'ফল দায়ক আয়োজন।' কিন্তু যুদ্ধৰ সময়ত যি ধাৰ কৰা হৈছিল সেইবোৰ এনে ধৰণৰ কোনো কামত ব্যয় কৰা হোৱা নাই। সেই টকা ফলদায়কতো নহয়েই। ধ্বংসমূলকহে। বহুতো টকা যুদ্ধত খৰচ কৰা হ'ল, তাৰ চিন বল কেৱল ধ্বংস আৰু হত্যাকাণ্ডৰ ভিতৰত। এই কাৰণেই যুদ্ধৰ ধাৰবিলি পৃথিৱীৰ কান্ধত এটা বহন কৰিব নোৱাৰা বোজা হৈ দেখা দিলে। এই যুদ্ধৰ ধাৰ আছিল তিনি ৰকমৰ—যুদ্ধৰ ক্ষতিপূৰণ, বিজিত জাতিসমূহক জোৰ কৰি এই টকা দিবলৈ ৰাজী কৰোৱা হৈছিল। আন্তৰ্জাতিক ঋণ-দায়ৰ চৰকাৰবোৰে পৰস্পৰৰপৰা আৰু বিশেষকৈ আমেৰিকাৰপৰা টকা ধাৰ কৰিছিল;

আৰু প্ৰত্যেক দেশৰ ভিতৰত চৰকাৰ পক্ষই তেওঁলোকৰ নিজৰ প্ৰজাসকলৰ পৰা এই টকা ধাৰ কৰিছিল।

এই তিনি ধৰণৰ ধাৰৰ পৰিমাণ আছিল বৰ বেছি, কিন্তু প্ৰত্যেক দেশৰ পক্ষে সকলোতকৈ ডাঙৰ ধাৰৰ অঙ্ক আছিল, তাৰ জাতীয় ঋণ। যেনে যুদ্ধৰ পিছত বৃটেনৰ জাতীয় ঋণৰ পৰিমাণ হৈছিল গৈ ৬,৫০,০০,০০,০০০ পাউণ্ড। য'ত ঋণৰ বোজা তাৰ কাৰণে যুদ্ধৰ টকা আদায় কৰি দিয়াতোও নিশ্চয় এটি সমস্যা তাকে দিবলৈ হলে দেশত বৰ বেছি ৰকমে কৰ নবহুৱাই উপায় নাই। জাৰ্মাণীয়ে তেওঁলোকৰ ভিতৰুৱা ঋণ মুদ্ৰাস্ফীতিৰ জৰিয়তে নাইকিয়া কৰিলে। মুদ্ৰাস্ফীতিৰ কাৰণে তাৰ পুৰণি বজাৰৰ আয়ুস কমি গল। এই ফালৰপৰা কৰ পাৰি জাৰ্মাণীয়ে তেওঁলোকৰ ধাৰৰ অব্যাহতি পালে তেওঁলোকৰ প্ৰজাসকলৰপৰা যি প্ৰজাই দুৰ্দিনত ইয়াক টকা ধাৰে দিছিল, তেওঁলোকৰ সৰ্বনাশ কৰি। ফ্ৰান্সত সেই মুদ্ৰাস্ফীতি নীতিকে অৱলম্বন কৰিলে, অৱশ্যে ইমান বেছিকৈ নহয়। ফ্ৰান্সত বস্তুৰ দাম ই কমাই পুৰণি দাম যি আছিল তাৰ প্ৰায় পাঁচ ভাগৰ এভাগেই আনিলে। ইয়াৰ হেঁচাত আভ্যন্তৰীণ জাতীয় ঋণৰ পৰিমাণ মূলৰ এক পঞ্চমাংশত পৰিণত কৰিলে। কিন্তু আন আন দেশৰ ওচৰত যাৰ যি ঋণ আছিল, (ক্ষতিপূৰণ বা আন্তৰ্জাতিক ঋণ) তাত এই কৌশল খটোৱা সম্ভৱ নাছিল; সেই টকা এওঁলোকে নগদ ধন দি পৰিশোধ কৰিব লগীয়া হ'ল।

এইবোৰ আন্তৰ্জাতিক ধাৰৰ টকা এখন দেশে আন এখন দেশক পৰিশোধ কৰি দিয়াৰ মানে হ'ল—যি দেশে টকা দিছে; তাৰ সেই পৰিমাণৰ টকা ঘৰৰপৰা বাহিৰ হৈ গ'ল, এতেকে ই দুখীয়া হৈ পৰিল, কিন্তু দেশৰ ভিতৰত যি জাতীয় ঋণ আছিল, সেইটো পৰিশোধ কৰাৰ ফলত দেশৰ অৱস্থাৰ এনে কোনো পৰিবৰ্তন নহয়, কাৰণ সেই টকা দেশৰ ভিতৰতেই থাকে। অথচ এই ক্ষেত্ৰত এটা ডাঙৰ পৰিবৰ্তন ঘটিল। চৰকাৰে এই ঋণ শোধ কৰিলে দেশৰ সকলো কৰ দাতাৰ ওপৰতে কৰ বহুৱাই টকা তুলি ধনী দুখীয়া নিৰ্বিশেষে যি মহাজন শ্ৰেণীয়ে বাট্টক টকা ধাৰে দিছিল, সেই খিনিতো ঘূৰাই পালে তাতকৈ বেছিও পালে। দুখীয়াবোৰে কেৱল কৰহে দিলে—ঘূৰাই একো নাপালে। ধনীৰেই ধন বৃদ্ধি হ'ল, দুখীয়া আৰু দুখীয়া হ'ল।

সঙ্কটৰ কাৰণ বুলি যিবোৰ বিষয় নিৰ্দেশ কৰা হৈছে মই সেইবোৰৰ বেলেগ বেলেগ আলোচনা কৰিলো। কিন্তু প্ৰকৃততে এই সকলোবোৰে লগ হৈয়েই এই সঙ্কটৰ সৃষ্টি কৰিছিল সেই কাৰণেই এই বাণিজ্য সঙ্কট ইমান ভীষণ হৈ উঠিছিল। মূলতে ইয়াৰ কাৰণ আছিল পুঁজিবাদৰ আমোলত যি অতিৰিক্ত লাভ উৎপন্ন হয় তাৰ অসমান বিতৰণৰ ওপৰত। অন্য ভাষাত কবলৈ গলে—জনসাধাৰণে তেওঁলোকৰ নিজৰ শ্ৰমৰে যিবোৰ বস্তু তৈয়াৰ কৰিছিল তাক কিনিবলৈ তেওঁলোকৰ টকা নাছিল। তেওঁলোকৰ বেতন বা দৰ্মহাই বলে নোৱাৰিছিল। তেওঁলোকৰ মুঠ যি আয় তাৰ তুলনাত উৎপন্নৰ মূল্য আছিল বহুত বেছি। টকাটো যদি জনসাধাৰণৰ হাতত থাকিলহেঁতেন তেন্তে সেই টকা দি তেওঁলোকে এইবোৰ পণ্য কিনিব পাৰিলেহেঁতেন? কিন্তু এই টকা গৈ জমা হৈছে কেইজনমান পুঁজিপতিৰ হাতত। সেই টকাৰে তেওঁলোকে কি কৰিব তাকে তেওঁলোকে ভাবি উলিয়াব

পৰা নাই। এই টকা ঋণ স্বৰূপে আমেৰিকাৰপৰা জাৰ্মাণীলৈ গৈছিল। [illegible]শৰপৰা পোৱা এই ঋণৰ জোৰতে যুদ্ধত জীৰ্ণ হৈ পৰা য়ুৰোপ আৰু পুঁজিবাদী ব্যৱস্থাটো আৰু কেইবছৰমান থিয় হৈ থাকিব পাৰিলে। অথচ এই সংকটৰ এটা ডাঙৰ কাৰণ হ'ল এই টকা খিনিয়েই। শেষত এই বিদেশী ঋণ বন্ধ হৈ পৰা কাৰণেই এওঁলোকৰ ব্যৱসায় বাণিজ্য সকলো হুৰমুৰকৈ ভাঙি পৰিল।

পুঁজিবাদৰ যি সঙ্কট দেখা দিছে তাৰ এই কাৰণ নিৰ্দেশ যদি সঁচা হয়, তেন্তে তাৰ প্ৰতিকাৰ হ'ব পাৰে মাত্ৰ একেটি উপায়েৰে, সকলো মানুহৰ আয় সমান কৰি দিয়া নতুবা অন্ততঃ তাৰফালে আগুৱাই যোৱাৰো চেষ্টা কৰা। ইয়াক কৰা মানে সমাজতন্ত্ৰৰ প্ৰতিষ্ঠা। কিন্তু বাধ্যত নপৰিলে পুঁজিবাদে ইয়াক মানি লোৱাটো সম্ভৱপৰ নহয়। বহুতে 'পৰিকল্পিত পুঁজিবাদৰ' কথা কৈছে; কৈছে, অন্ততঃ দেশত ব্যৱসায় বাণিজ্য চলাবৰ কাৰণে আন্তৰ্জাতিক সন্মিলনৰ প্ৰচেষ্টাৰ কথা। কিন্তু এইবোৰ কথাৰ আঁৰত উগ্ৰ হৈ উঠিছে দেশে দেশে অখিয়া-অখি, পৃথিৱীৰ বজাৰ দখল কৰাৰ কাৰণে সাম্ৰাজ্যবাদী জাতিসমূহৰ মাজত পৰস্পৰ সংগ্ৰাম। পৰিকল্পনা কিহৰ কাৰণে? এজনক বধ কৰি এজনে লাভ কৰিবৰ কাৰণে? পুঁজিবাদৰ মূল কথাই কৈছে ব্যক্তিগত লাভ, প্ৰতিদ্বন্দ্বিতা তাৰ মূল মন্ত্ৰ প্ৰতিদ্বন্দ্বিতা আৰু পৰিকল্পনা একে লগে চলিব নোৱাৰে।

সমাজতন্ত্ৰীবাদী আৰু কমিউনিষ্টসকলৰ বাহিৰেও বহুতো চিন্তাশীল ব্যক্তিয়ে বৰ্তমান অৱস্থাত পুঁজিবাদৰ কাৰ্যকাৰিতা সম্বন্ধে সন্দিহান হৈ উঠিছে। অতি অদ্ভুত ধৰণৰ পোৱা কিছুমান দফাই কিছুমানে কৈছে যে কেৱল বৰ্তমানৰ এই মাজৰ ৰীতিয়েই নহয়—বস্তুৰ মূল্যৰ নীতিও যি ৰীতিৰে মানুহে বস্তু লবলৈ হ'লে পইচা দিয়ে তাকেই বন্ধ কৰি দিব লাগে। এইবোৰ বৰ জটিল বিষয়, যাৰ আলোচনা ইয়াত সম্ভৱ নহয়; আৰু কিছুমান প্ৰস্তাৱ বৰ অযুক্তিকৰো।

জেনেভাৰ আই, এল, অ, এ (ইণ্টাৰনেচনেল লেবাৰ অফিচ বা আন্তৰ্জাতিক শ্ৰমিক অফিচ) সোনকালে নিবনুৱা সমস্যা কমোৱাৰ উদ্দেশ্যে অলপতে এটি প্ৰস্তাৱ দাঙি ধৰিছে। এওঁলোকৰ মতে শ্ৰমিকসকলৰ কামৰ সময় সপ্তাহত চল্লিশ ঘণ্টাৰ বেছি হব নোৱাৰে বুলি বান্ধি দিব লাগে; তেতিয়া হলে নিবনুৱা সমস্যা বহু পৰিমাণে কমি যাব। কামৰ সময় কমিলে আৰু বহুতো লাখ লাখ লোকে কাম পাব, এতেকে নিবনুৱা সমস্যাও সেই পৰিমাণে কমি যাব। শ্ৰমিকসকলৰ প্ৰতিনিধি-সকলে এই প্ৰস্তাৱটো আগ্ৰহৰে সমৰ্থন কৰিছিল। কিন্তু বৃটিছ চৰকাৰ ইয়াৰ বিৰুদ্ধে থিয় হ'ল, জাৰ্মাণী আৰু জাপানৰ সহায়ত এইটো কোনোৰকমে বন্ধ কৰি ৰাখিলে। যুদ্ধৰ পিছৰপৰা, আজিলৈকে আই, এল, অ'ৰ সকলো কথাতে বৃটিচ চৰকাৰে প্ৰগতি বিৰোধী মনোভাৱ দেখুৱাই আহিছে।

এই সঙ্কট পৃথিৱী জুৰি দেখা দিছে। সেয়ে ইয়াৰ প্ৰতিকাৰো কৰিব লাগিব সকলোৱে একেলগে, গোটেই পৃথিৱীৰ কাৰণে, বহুতো দেশেই সকলোকে একত্ৰিত কৰি এই কামত লগাব কিবা উপায় কৰিব পৰা যায় নেকি তাৰ উপায় বিচাৰি চাইছে। কিন্তু এতিয়ালৈকে সেই উপায় বিচাৰি পোৱা নাই। এতিয়া প্ৰত্যেক দেশেই নিজে নিজে প্ৰতিকাৰৰ উপায় বিচাৰি পাইছে—নিজৰ দেশত অৰ্থ-নৈতিক জাতীয়তাবাদত। পৃথিৱীত বাণিজ্য ধ্বংস হয় হওক, নিজৰ দেশৰ ব্যৱ-সায় বাণিজ্য আনি নিজৰ হাতত ৰাখিব—এয়ে হ'ল দেশসমূহৰ মনোভাৱ। এতেকে প্ৰত্যেক দেশেই তেওঁলোকৰ নিজৰ বজাৰকে বহু দ্বিতীয় প্ৰধান বজাৰ বুলি ধৰি লৈছে, বৰ্তমানি ব্যৱসায়ৰ কথা অকিঞ্চিতকৰ হৈ আহিছে। বাণিজ্য

শুল্ক বহুৱাই বা বয় বিদেশী বস্তুক দেশৰপৰা আঁতৰাই ৰখাৰ চেষ্টা চলিছে, সেই চেষ্টাই মঙ্গল হৈছে। ইয়াৰ ফলত আন্তৰ্জাতিক বাণিজ্যৰ ক্ষতিও বহুত হৈছে। কাৰণ প্ৰত্যেক দেশৰ বাণিজ্য শুল্ক আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত একোটি বিষয় অন্তৰায়। য়ুৰোপ, আমেৰিকা আৰু কিছুপৰিমাণে এতিয়াও এইবোৰ অতি উচচ শুল্কৰ দেৱালৰে আবৰি আছে। শুল্ক প্ৰাচীৰ গঢ়ি যি বিশেষ শিল্পক ৰক্ষা কৰা হৈছে তাৰপৰা হয়তো মালিকসকলৰ লাভ হয়। কিন্তু সেই লাভ হয়—যি সকলে সেই বস্তু কিনিছে তেওঁলোকৰ মূৰ ভাঙি, কাৰণ তেওঁলোকে সেই বস্তু বেছি দৰত কিনিব লগীয়া হয়। এতেকে দেখিছো ইয়াৰপৰা বিশেষ কেইটা মান শ্ৰেণীৰহে লাভ হয়। ভাৰতবৰ্ষৰ বস্ত্ৰশিল্পক ৰক্ষা কৰা হৈছে জাপানৰ কাপোৰৰ ওপৰত বেছি শুল্ক লগায়। ভাৰতীয় কলৰ মালিকসকলৰ ইয়াৰে বৰ সুবিধা হৈছে, কাৰণ এই শুল্ক নথকাহেঁতেন, তেওঁলোকে জাপানৰ লগত মুঠেই প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিলেহেঁতেন। এই শুল্ক আছে বুলিয়েই তেওঁলোকে কাপোৰৰ দামো বঢ়াই দিব পাৰিছে। এই দেশৰ চেনিৰ শিল্পকো এনেদৰেই ৰক্ষা কৰা হৈছে। তাৰ ফলত ভাৰতৰ সকলোতে বহুতো চেনিৰ কল গঢ়ি উঠিছে, বিশেষকৈ যুক্তপ্ৰদেশ আৰু বিহাৰত। এতিয়া যদি চেনিৰ শুল্ক উঠাই দিয়া হয় এওঁলোকৰ স্বাৰ্থত আঘাট পৰিব।

দুই ধৰণৰ একচেটিয়া ব্যৱসায় বাঢ়ি উঠিল। শুল্ক বহুৱাই যিবোৰ দেশে নিজক ৰক্ষা কৰিছিল তেওঁলোকৰ ভিতৰত একচেটিয়া বহি বাণিজ্য আৰু প্ৰত্যেক দেশৰ মাজত একচেটিয়া ব্যৱসায়ৰ অভ্যুত্থানৰ, ফলত ডাঙৰ ডাঙৰ প্ৰতিষ্ঠানসমূহে সৰু সৰু প্ৰতিষ্ঠানবোৰক গিলি পেলালে। একচেটিয়া ব্যৱসায় বৃদ্ধি অৱশ্যে একো অভাৱ কথা নহয়। বহু বছৰ ধৰি ই ঘটি আহিছে। বিশ্বযুদ্ধত আগৰ পৰাই। এইবাৰ মাথোন ইয়াৰ গতি বৰ বেছি হ'ল। শুল্ক ব্যৱস্থাও বহু দেশত আগৰপৰাই বহুৱা আছিল। ইংলেণ্ডই আছিল একমাত্ৰ ডাঙৰ দেশ যি ইমান দিনে বাণিজ্যত শুল্ক ব্যৱস্থাৰ প্ৰবৰ্তন কৰা নাছিল। কিন্তু এইবাৰ ইও সেই ব্যৱস্থা ভাঙিবলগীয়া হ'ল। আমদানি বস্তুৰ ওপৰত শুল্ক বহুৱাই আন আন দেশৰ লগত হাত মিলাই থিয় হ'ল। ইয়াৰপৰা তেওঁলোকৰ কিছুমান শিল্পৰ দুৰ্গতি অলপ লাঘৱ হ'ল।

কিন্তু স্থানীয়ভাৱে আৰু সাময়িক অলপ সুবিধা হলেও ইয়াৰ ফলত গোটেই পৃথিৱীৰ দুৰ্গতি আৰু বাঢ়ি গ'ল। আন্তৰ্জাতিক বাণিজ্যৰ পৰিমাণ ইয়াৰ কাৰণে বহুত কমি গল, প্ৰতিদ্বন্দ্বী দেশবোৰৰ মাজত ইয়াৰ ফলত সকলো সময়তে অবিৰাম-অৰি চলিব ধৰিলে। প্ৰত্যেকেই আনৰ বস্তুৰ বিৰুদ্ধে তাৰ শুল্কৰ—ওখ কৰি গঢ়ি তুলিলে। ইয়াৰ নাম দিয়া হৈছে শুল্ক যুদ্ধ। পৃথিৱী জুৰি বজাৰৰ সংখ্যা দিনে দিনে কমিব ধৰিলে। তাৰ কাৰণেই সেই বজাৰত সোমাবলৈ ঠেলা-ঠেলিৰ তীব্ৰতা বাঢ়ি আহিল। মালিকসকলে শ্ৰমিকৰ দৰ্মহা আৰু কমাই দিবলৈ চেষ্টা কৰিলে। সেইটো নহলে তেওঁলোকে আন আন দেশৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰা হৈছে। এতেকে তাৰ ফলত বজাৰৰ মন্দা অৱস্থা আৰু চৰিল। নিবনুৱা সমস্যাও বাঢ়ি আহিল। প্ৰত্যেকবাৰ দৰ্মহা কটাৰ লগে লগে শ্ৰমিকসকলৰ কিনা শক্তিও বহুত কমি যাব ধৰিলে।

১৮৬

নেতৃত্ব লৈ আমেৰিকা আৰু ইংলেণ্ডৰ অৰিয়া-অৰি

২৫ জুলাই, ১৯৩৩

তোমাক আগতে কৈছো—এইবাৰৰ সঙ্কটত আন্তৰ্জাতিক বাণিজ্যৰ পৰিমাণ কমি কমি প্ৰায় তিনিভাগৰ এভাগ পাইছেহি। মানুহৰ কিনাৰ ক্ষমতা একেবাৰে কমি গৈছে বুলি দেশৰ মাজতো ব্যৱসায়-বাণিজ্য বহুত হ্ৰাস হৈ গ'ল। নিবনুৱা সমস্যা বাঢ়ি গ'ল। এই লাখ লাখ নিবনুৱা শ্ৰমিকক খুৱাই বখা সকলো দেশৰে চৰকাৰৰ পক্ষে এটা বিষম কথা হৈ পৰিল। অতিশয় উচ্চহাৰত কৰ বহুৱায়ো বহুত দেশৰ চৰকাৰে খৰচ যোগাব নোৱাৰিলে। এই ব্যয়ৰ বেছিভাগেই হৈছিল সৈন্যবাহিনী, নৌবাহিনী, বিমানবাহিনীৰ কাৰণে, আৰু দেশৰ বাহিৰে বা ভিতৰে যিবোৰ চৰকাৰী দেশ আছিল, সেইবোৰ পৰিশোধ কৰোতে। দেশৰ বাজেটত ঘাটি পৰিবলৈ ধৰিলে। অৰ্থাৎ আয়তকৈ ব্যয় বেছি হল। এই ঘাটি পূৰণৰ—একমাত্ৰ উপায় আছিল টকা ধাৰ কৰা, বা যত সঞ্চিতৰ টকা আছে তাৰপৰা টকা আনি খৰচ কৰা। ফলত এইবোৰ দেশৰ আৰ্থিক অৱস্থা বেয়া হৈ পৰিল।

ইয়াৰ লগে লগে আকৌ আনকালে বহুত পৰিমাণৰ মালবস্তু বিক্ৰী নোহোৱাকৈ থাকি গৈছিল, কাৰণ সেই বস্তু কিনিবৰ কাৰণে মানুহৰ হাতত টকা নাই বহু ক্ষেত্ৰত এই অতিৰিক্ত খাদ্য সামগ্ৰী আৰু আন আন বস্তু-বাহানি নষ্ট কৰি পেলোৱা হ'ল। অথচ আন ঠাইত সেই বস্তুৰ অভাৱত মানুহৰ বৰ দুৰ্দশা হৈছে সঙ্কট আৰু—গোটেই পৃথিৱীকেই (চোভিয়েট ইউনিয়নৰ বাহিৰে) আক্ৰমণ কৰিলে—অথচ সেই সঙ্কটৰ অৱসান ঘটাবৰ কাৰণে পৃথিৱীৰ বিভিন্ন দেশসমূহ এতিয়াও একত্ৰিত হ'ব পৰা নাই। প্ৰত্যেক দেশেই ভেওঁলোকৰ নিজৰ কাৰণে ব্যৱস্থা কৰি লৈছে, আৰু কালৰি কাতি চলিবলৈ বিচাৰিছে, আনকি আনৰ বিপদৰ সুযোগ লৈয়ো, নিজে লাভ কৰাৰ চেষ্টা কৰিছে। এই স্বাৰ্থপৰ কাৰ্য-কলাপৰ ফলত আৰু আন আন বিবোৰ আধকন্বা প্ৰতিকাৰৰ ব্যৱস্থা কৰা হৈছে, তাৰ ফলত দুৰৱস্থাই আৰু বেটিকৈ শিপাই পৰিছে। পৃথিৱীত এতিয়া দুটা ডাঙৰ কথাৰ বা প্ৰবৃত্তিৰ আৱিৰ্ভাৱ হৈছে, এই বাণিজ্য সঙ্কটৰ পৰা এইবোৰ বেলেগ অথচ ইয়াৰ তীব্ৰতা এইবোৰ বহুখিনি বঢ়াই তুলিছে। ইয়াৰ এটা হৈছে চোভিয়েট ইউনিয়নৰ লগত পুঁজিবাদী দেশৰ প্ৰতিদ্বন্দ্বিতা, আনটো হৈছে, ইংলেণ্ড আৰু আমেৰিকাৰ অৰিয়া-অৰি।

এই সঙ্কটৰ আঘাটত পুঁজিবাদী দেশসমূহ দুৰ্ব্বল আৰু দুখীয়া হৈ পৰিছে; এফালেদি ইয়াৰ ফলত যুদ্ধৰ সম্ভাৱনাও কমিছে। প্ৰত্যেক দেশেই এতিয়া নিজৰ ঘৰ চম্ভলাত ব্যস্ত, দুঃসাহসিক অভিযান চলাবৰ কাৰণে টকাও হাতত নাই। অথচ মজাৰ কথা এয়ে যে এই সঙ্কটেই আকৌ এফালৰপৰা যুদ্ধৰ সম্ভাৱনা বঢ়াই তুলিছে। সঙ্কটৰ হেঁচাত পৰি, সকলো জাতি আৰু তেওঁলোকৰ চৰকাৰ সমূহে মৰি পৰি লাগিছে, মানুহৰ যেতিয়া এই অৱস্থা হয় তেতিয়া তেওঁলোকে দেশৰ ভিতৰৰপৰা সমস্যাৰ সমাধান কৰিবলৈ বিচাৰে বাহিৰত যুঁজ লগায়। বিশেষকৈ য'ত দেশ শাসনৰ কৰ্ত্তৃত্ব এজন ডিক্টেটৰ বা এটি সৰু ধনী দলৰ হাতত সেই সম্ভাৱনা বৰ বেছি থাকে, কাৰণ শাসনৰ কৰ্ত্তৃত্ব এৰি দিয়াতকৈ সেই ডিক্টেটৰে দেশক যুঁজত নিমজ্জিত কৰি দিবকে বিচাৰে। কিয়নো তেওঁলোকে জানে যি যুদ্ধৰ হেঁচাত প্ৰজাসকলৰ মন আনফালে আকৰ্ষিত হ'ব, দেশৰ ভিতৰৰপৰা সমস্যা লৈ তেওঁলোকে আৰু মূৰ নঘমায়। ইয়াৰ কাৰণেই চোভিয়েট ইউনিয়ন আৰু কমিউনিজিমৰ বিৰুদ্ধে এখন ধৰ্ম্মযুদ্ধ এওঁলোকে এতিয়া যি কোনো মুহূৰ্ত্ততে ঘোষণা কৰি দিব পাৰে। পুঁজিবাদৰ এই সঙ্কটৰ কোনো প্ৰত্যক্ষ প্ৰভাৱ চোভিয়েট ইউনিয়নৰ ওপৰত পৰা নাছিল। ই তাৰ পাঁচবছৰীয়া পৰিকল্পনা লৈ ব্যস্ত। যি কৰিয়েই হওক যুদ্ধৰ সম্ভাৱনাক ই আঁতৰাই ৰাখিবলৈ বিচাৰে।

ইংলেণ্ড আৰু আমেৰিকাৰ ভিতৰত প্ৰতিদ্বন্দ্বিতা যুদ্ধৰ পিছত নহৈ নোৱাৰিলে। এওঁলোকেই হৈছে পৃথিৱীৰ সকলোতকৈ ডাঙৰ দুটা শক্তি, দুয়ো পৃথিৱীৰ সকলো বিষয়তে প্ৰভুত্ব খটাব বিচাৰে। বিশ্বযুদ্ধৰ আগতে ইংলেণ্ডৰ প্ৰতিপত্তি আছিল অবিসংবাদী। যুদ্ধৰ ফলত যুক্তৰাষ্ট্ৰই পৃথিৱীৰ ভিতৰত সকলোতকৈ ধনী আৰু শক্তিশালী দেশ হৈ উঠিল। স্বভাৱতেই ই তেতিয়া পৃথিৱীত যি ইয়াৰ ন্যায্য আসন বুলি ধাৰণা কৰিলে তাকেই দখল কৰি লবলৈ বিচাৰিলে। ভৱিষ্যতত আৰু ইংলেণ্ডকেই সকলোৰে ওপৰত উঠাই ৰাখিবলৈ এই দেশ মান্তি নহয়। দিনকাল সলনি হৈছে, ইংলণ্ডই নিজেও সেই কথা ভালদৰে বুজিব পাৰিছিল, সেই নতুন অৱস্থাৰ লগত ই নিজক খাপখুৱাই লবলৈ চেষ্টা কৰিলে। আমেৰিকাৰ লগত বন্ধুত্ব স্থাপন কৰিব বিচাৰিলে। আমেৰিকাক ভাল লগাবৰ কাৰণে ই জাপানৰ লগত মিত্ৰতাও এৰি দিলে, আৰু বহুতো মন ভুলোৱা কলা কৌশল কৰিলে। কিন্তু ইয়াৰ যিবোৰ বিশেষ স্বাৰ্থ পৃথিৱীত প্ৰতিষ্ঠিত আছিল, বিশেষকৈ টকাৰ বজাৰত, ইমান দিনে ইয়াৰ যি নেতৃত্ব আছিল তাক হস্তান্তৰ কৰিবলৈ একেৱাৰেই মান্তি নহল। এইদেশে জানিছিল এইবোৰ গলে নিজৰ প্ৰভাৱ প্ৰতিপত্তি, ইয়াৰ সাম্ৰাজ্য, সকলো লগে লগে শেষ হ'ব। অথচ এই টকাৰ বজাৰৰ নেতৃত্ব হাত কৰাই আছিল আমেৰিকাৰ অভিপ্ৰায়। এতেকে তেতিয়া এই দুখন দেশৰ মাজত সংঘৰ্ষও অপৰিহাৰ্য হৈ উঠিল। মুখত অতি মিঠা কথা, আৰু প্ৰীতিপূৰ্ণ সম্ভাষণৰ জাল পাতিলে, এই দুয়ো দেশৰ বেঙ্কৰ মালিকসকলে, তাৰ আঁৰত চলিলে দুয়ো পক্ষৰ নিশব্দ দ্বন্দ্ব যুদ্ধ। সেই যুদ্ধত দুই পক্ষৰ চৰকাৰ সকল বেঙ্কৰ মালিক-সকলৰ পিছত। সেই যুদ্ধৰ লক্ষ্য হৈছে এটা বিৰাট বস্তু,—মূলধন আৰু শিল্পৰ বজাৰত গোটেই জগতৰ নেতৃত্ব।

যুদ্ধৰ ঋণক উপলক্ষ্য কৰি এই দুই দেশৰ মাজত মনোমালিন্য আৰু বাঢ়ি

গ'ল। ইংলেণ্ডৰ লোকসকলে আমেৰিকাৰ লোকসকলক গালি পাৰিব ধৰিলে। তেওঁলোক হেনো চাইলকৰ জাত, সোণৰ দৰে এক পাউণ্ড মাংস কাটি লবলৈ ব্যগ্ৰ হৈ উঠিছে। প্ৰকৃততে কিন্তু সেই ধাৰৰ টকা বৃটিছ চৰকাৰে লৈছিল আমেৰিকাৰ বে-চৰকাৰী বেংকবোৰৰ পৰা যুক্তৰাষ্ট্ৰৰ চৰকাৰৰ মাথোন সেই ধাৰৰ টকাৰ কাৰণে জামিন হৈছিল। এতেকে সেই টকা পৰিশোধ কৰাৰ দায়িত্বৰ পৰা যদি বৃটেনক অব্যাহতি দিয়া হয় তেন্তে সেই টকা পৰিশোধ কৰিব লাগিব যুক্তৰাষ্ট্ৰৰ চৰকাৰে। এতেকে এই ভাৰ লবলৈ আমেৰিকাৰ চৰকাৰে কিয় যাব সেই কথা আমেৰিকাৰ কংগ্ৰেছে বিচাৰি নাপালে।

এইদৰে ইংলেণ্ড আৰু আমেৰিকাই অৰ্থনৈতিক স্বাৰ্থৰ কাৰণে দুয়ো বিপৰীত পথেৰে চলিব ধৰিলে, আৰু অৰ্থনৈতিক স্বাৰ্থৰ টান সকলোতকৈ বলবান। এই দুখন দেশৰ ভিতৰত বহুত বিষয়ত বৰ মিল, অথচ এই দুখনৰ ভিতৰতে এনেদৰে সংঘৰ্ষৰ সৃষ্টি হ'ল। এই সংঘৰ্ষত ইংলেণ্ডতকৈ আমেৰিকাৰ বল বহুত বেছি। এইদৰে সংঘৰ্ষত চলিলে ইংলণ্ডই তেওঁলোকৰ প্ৰভাৱ প্ৰতিপত্তি, সকলো আমেৰিকাৰ হাতত তুলি দিব লাগিব। তেওঁলোকৰ কাৰণে যি অতি মূল্যবান এনে কিছুমান বস্তুও স্বেচ্ছাই আনৰ হাতত তুলি দিব লাগিব। সাম্ৰাজ্যবাদীত্বৰ পৰা যি লাভ ই ইমান দিনে পাই আহিছিল, সেইবোৰ সকলো হেৰাব। পৃথিৱীৰ সকলো জাতিৰ পিছত গৈ থিয় দিব। আমেৰিকাৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰি বাচিব লাগিব। এই কল্পনা ইংৰাজসকলৰ কাৰণে মঞ্জুৰ নাছিল। এখন জীৱন মৰণৰ পণ কৰি যুঁজ নকৰাকৈ তেওঁলোকে পৰাজয় স্বীকাৰ কৰিব বুলি ভবাটোও অসম্ভৱ কথা। এয়ে হৈছে ইংলেণ্ডৰ বৰ্ত্তমান অৱস্থা, বৰ কৰুণ অৱস্থা তাত সকলো সন্দেহ নাই। এদিন যিবোৰৰ পৰা তেওঁলোকে শক্তিৰ যোগান পাইছিল, আজি সেইবোৰ তেনেই শুকাই গৈছে। কিন্তু বহু পুৰুষ ধৰি ইংৰাজ জাতিয়ে লোকৰ ওপৰত প্ৰভুত্ব কৰাত অভ্যস্ত। আজি এই অৱস্থাক সহজে স্বীকাৰ কৰি লবলৈ তেওঁলোক মাপ্তি নহয়। সেই ভাগ্যৰ কাৰণে তেওঁলোকে বীৰৰ দৰে যুঁজ কৰিছে। যিমান দিন পাৰে যুঁজ কৰিব।

পৃথিৱীত আজি যি ধনিয়া-অৰিৰ খেলা চলিছে, তাৰ কথা মই কৈছিলোঁ। ১৯৩০ চনত ফৰাচীসকলে ৰাইনলেণ্ড এৰি আঁতৰি আহিল। জাৰ্মাণসকলে স্বস্তিৰ নিশ্বাস পেলালে। এইটো অৱশ্যে মিত্ৰতাৰ বাহিৰত হোৱা নাছিল। বাণিজ্যৰ অৱস্থা বেয়া হৈ অহাৰ লগে লগে ধনৱানসকলৰ হাতত টকাৰ অভাৱ বাঢ়ি গ'ল। ক্ষতি পূৰণ আৰু ধাৰৰ টকা পৰিশোধ কৰা দিনে দিনে টান হৈ পৰিল। টকা দিয়াৰ এই অসুবিধাৰ শেষ হক বুলিয়েই প্ৰেচিডেণ্ট হুভাৰে এক-বছৰ কাৰণে 'ঋণ-বিৰতি'ৰ ঘোষণা কৰিলে। যুদ্ধৰ ঋণৰ এই বিষয়টো পুনৰ বিবেচনা কৰি চাব পাৰি নে নোৱাৰি তাৰ উপায় বিচাৰিলে। কিন্তু যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছে এই সম্বন্ধে নতুন কৰি বিবেচনা কৰাৰ কথাত আপত্তি তুলিলে। জাৰ্মানীৰ পৰা যি ক্ষতিপূৰণ পাবলগীয়া আছিল সেই বিষয়েও ফৰাচী চৰকাৰ বৰ কঠোৰ হৈ থাকিল। বৃটিছ চৰকাৰৰ দিবলগীয়া আৰু পাবলগীয়া দুয়োটাই সমান আছিল, এতেকে তেওঁলোকে ক'লে এই ক্ষতিপূৰণ আৰু যুদ্ধৰ ঋণ

দুয়োটাকে মুচি পেলোৱা হওক। এতেকে দেশেই নিজৰ স্বাৰ্থ অনুসৰি ভাবিছে, সেয়ে তেওঁলোকৰ মাজত কামৰ একতা একো দেখা নগল। ১৯৩১ চনৰ মাজ ভাগত জাৰ্মাণৰ অৰ্থ সঙ্কটৰ আৰম্ভ হ'ল। বহুতো বেঙ্ক বন্ধ হৈ গ'ল। ইয়াৰ ফলত ইংলেণ্ডৰ সঙ্কট সৃষ্টি হ'ল, তেওঁলোকৰ দিবলগীয়া ধন দিব নোৱাৰিলে। তাতো আৰ্থিক অৱস্থা ভাঙি পৰাৰ উপক্ৰম হ'ল। এই সঙ্কটৰ ভয়ত বনুৱা মন্ত্ৰী সভাৰ নেতা মেকডনেল্ডে নিজেই মন্ত্ৰীসভা ভাঙি দি এখন 'জাতীয় মন্ত্ৰীসভা' গঠন কৰিলে, তাত ৰক্ষণশীল দলেই প্ৰাধান্য লাভ কৰিলে। কিন্তু সেই জাতীয় চৰকাৰে গাইডক ৰক্ষা কৰিব নোৱাৰিলে। ঠিক সেই সময়তে আটলাণ্টিক মহাসাগৰত অৱস্থিত বৃটিছ নৌ-ঘাটিৰ নাৱিকসকলে দৰ্মহা কমোৱাৰ কাৰণে বিদ্ৰোহ কৰিলে। বৃটেন আৰু য়ুৰোপৰ ওপৰত এই অহিংস বিদ্ৰোহৰ বিৰাট প্ৰভাৱ পৰিল। মানুহৰ মনত পৰিল ৰুচ বিপ্লৱৰ কথা। সেই বিপ্লৱৰ সময়ত ৰুচিয়াৰ নাৱিকসকলে বিদ্ৰোহ কৰিছিল, সেই কাৰণেই তেওঁলোকে ভয় খালে যে বৃটেনতো বোধকৰো এইবাৰ বলচেভিজিমৰ আবিৰ্ভাৱ হ'ল। বৃটেনৰ পুঁজিপতিসকলে স্থিৰ কৰিলে তেনে কোনো সৰ্বনাশ আহি পোৱাৰ আগতে তেওঁলোকৰ মূলধন সিনি চম্ভালি লোৱা উচিত। প্ৰচুৰ পৰিমাণৰ মূলধন তেওঁলোকে আন আন দেশলৈ পঠাই দিলে। ধনীসকলৰ দেশপ্ৰেমে টকা লোকচান হোৱাৰ কথা সহ্য কৰিব নোৱাৰে। বৃটেনৰপৰা মূলধন বাহিৰলৈ চালান হোৱাৰ লগে লগে পাউণ্ডৰ দাম কমি যাব ধৰিলে। অৱশেষত ১৯৩১ চনৰ ২৩ চেপ্টেম্বৰ তাৰিখে ইংলণ্ডই সোণৰ মান এৰি দিবলগীয়া হ'ল। অৰ্থাৎ হাতৰ সোণখিনি ৰক্ষা কৰিবৰ কাৰণে পাউণ্ডক সোণৰপৰা বেলেগ কৰি দিলে। ইমান দিন যাৰ হাতৰ পাউণ্ড—আছিল তাৰ সলনি নগদ সোণ লব পাৰিছিল, এতিয়াৰপৰা আৰু সেইটো নচলা হ'ল।

বৃটেনৰ সাম্ৰাজ্যৰ ফালৰপৰা, আৰু পৃথিৱীত ইংলণ্ডৰ যি স্থান আছিল, সেই ফালৰপৰা, পাউণ্ডৰ এই মৰ্যাদা হানি এটা ডাঙৰ ঘটনা। ইয়াৰ অৰ্থ হ'ল, টকাৰ বজাৰত যি নেতৃত্বৰ বলত টকা কড়িৰ কথা লণ্ডন চহৰ গোটেই পৃথিৱীৰ কেন্দ্ৰ আৰু ৰাজধানী হৈ আছিল, সেই নেতৃত্ব এইবাৰ ইংলণ্ডই এৰি দিছে। অন্ততঃ তেতিয়াৰ কাৰণে এৰি দিছে। এই নেতৃত্ব ৰাখিবৰ কাৰণেই ১৯২৫ চনত ইংলণ্ডই আকৌ ইয়াৰ প্ৰতিষ্ঠা কৰিছিল, সেইটো কৰিবলৈ গৈ ই ইয়াৰ শিল্প বাণিজ্যত লোকচান ভৰিবলগীয়া হ'ল। দেশত নিবনুৱা সমস্যাৰ উদ্ভৱ হ'ল, কয়লাৰ খনিত ধৰ্মঘট হ'ল, আৰু ক'ত কি হ'ল তালৈ তেওঁলোকে ভ্ৰক্ষেপ নকৰিলে। কিন্তু ইমানখিনি কৰিও কাম নহ'ল। আন আন দেশৰ কাৰ্য কলাপৰ ফলত ই আকৌ ছিন্ন-ভিন্ন হৈ গ'ল। বৃটিছ সাম্ৰাজ্যৰ ধ্বংস আৰম্ভ হ'ল বুলি ধাৰণাৰ সৃষ্টি হ'ল।

কিন্তু ইংলেণ্ড ইমান সহজে হাৰ মনা দেশ নাছিল। তেতিয়াও তেওঁলোকৰ হাতত এখন অধীন আৰু অসহায় দেশ আছে। তাৰপৰা তেওঁলোকে শক্তি সংগ্ৰহ কৰিব পাৰে। ভাৰতবৰ্ষ আৰু মিচৰ এই দুখন দেশ, আচলতে তেওঁলোকৰ সম্পূৰ্ণ আয়ত্তাধীন দেশ, আচলতে এই দুখন দেশৰপৰা। সোণ লৈয়ে তেওঁলোকে সেই সঙ্কটত পাৰ হ'ল। সঙ্কটৰপৰা এক আচৰিতভাৱে ৰক্ষা পৰিল।

ক্ষতিপূৰণ আৰু যুদ্ধ-ঋণৰ কথাটো তেতিয়াও সমাধান হোৱা নাই। ক্ষতি-

পূৰণৰ টকা দিয়া জাৰ্মাণীৰ ভক্তে একেবাৰেই অসম্ভৱ বুলি সকলোৱে বুজিব পাৰিছিল, আৰু জাৰ্মাণীয়েও সেই টকা পৰিশোধ কৰিবলৈ চৰকাৰীভাৱে অস্বীকাৰ কৰিলে। শেষত ১৯৩২ চনত লুজেনত এখন সভা পাতি ক্ষতিপূৰণৰ দাবীটো একেবাৰে কমাই দি এটি সামান্য অঙ্কত পৰিণত কৰিলে। কিন্তু আমেৰিকাই ইয়াত ঘোৰ আপত্তি তুলিলে। সেই কাৰণেই এই সকলোবোৰ আয়োজন এনেয়ে নষ্ট হৈ গ'ল।

ইংলেণ্ড আৰু ফ্ৰান্সৰ দৰে শক্তিশালী আৰু বিত্তশালী পুঁজিবাদী দেশবোৰেও নিজৰ নীতি অনুসৰি দিবলগীয়া টকা নিদি ফাকি দিবলৈ চেষ্টা কৰিছে,স্বভাৱতে চোভিয়েটৰ কথা মনত পৰে। চোভিয়েট ৰুচিয়াই ইয়াৰ দিবলগীয়া টকা নিদিওঁ বুলি যেতিয়া ঘোষণা কৰে, তেতিয়া তেওঁলোকে এই অন্যায় আচৰণ কঠোৰ ভাৱে নিন্দা কৰিছিল। ভাৰতবৰ্ষতো কংগ্ৰেছৰ তৰফৰপৰা কোৱা হৈছে ইংলেণ্ডৰ ওচৰত ভাৰতৰ যি দিবলগীয়া আছে, সেইটো পৰিশোধ কৰাৰ গোটেই বিষয়টোৰ বিচাৰ ভাৰ আমাৰ নিজৰ এটি নিৰপেক্ষ বিচাৰক সভাৰ হাতত এৰি দিয়া হ'ব, কিন্তু এই কথা কোৱা মাত্ৰকে চৰকাৰী মহলে ভয়ত চিঞৰি উঠে। জাতিৰ ওপৰত যি ঋণৰ বোজা তুলি দিয়া হৈছে, তাৰ পৰিশোধ কাৰণে এনে ধৰণৰ এটা সমস্যা লৈ আয়াৰলেণ্ডৰ লগত ইংলেণ্ডৰ বৰ কাজিয়া লাগিছে, দুয়ো দেশৰ মাজত এখন বাণিজ্য যুদ্ধ আৰম্ভ হৈছে, সেই যুদ্ধ আজিও শেষ হোৱা নাই।

তুমি জানা যে প্ৰত্যেক দেশৰ মাজত ব্যৱসায়-বাণিজ্য প্ৰায় সকলোবোৰ চলোৱা হয় 'চেক' দি, আৰু তাতকৈ অলপ কম পৰিমাণে বেঙ্কৰ নোট দি, অকল খুচুৰা কিনা-বেচাৰ বাহিৰে সোণ-ৰূপৰ ব্যৱহাৰ প্ৰায় নহয়। (আৰু সোণক তো দেখাই অসুবিধা) এই কাগজৰ টকা হৈছে ঋণৰ প্ৰতীক। বেঙ্কৰ ওপৰত বা যি চৰকাৰে সেই কাৰেন্সি নোট ছপাই বাহিৰ কৰিছে তাৰ ওপৰত যেতিয়ালৈকে মানুহৰ অৱস্থা ঠিক থাকে, তেতিয়ালৈকে এই কাগজবেই নগদ টকাৰ কাম চলি যায়। কিন্তু এখন দেশৰপৰা আন এখন দেশক টকা দিয়াৰ কথাত এই কাগজৰ টকা একেবাৰেই অচল, কাৰণ প্ৰত্যেক দেশৰেই নিজৰ মুদ্ৰা আছে। এতেকে আন্তৰ্জাতিক লেন-দেন চলে সোণৰ জৰিয়তে। দুৰ্লভ ধাতু হিচাবেই ইয়াৰ এটা নিজস্ব মূল্য আছে। এই লেন-দেনৰ কামত সোণৰ মুদ্ৰা বা ভাল সোণ(ইয়াক কোৱা হয় বুলিয়ন) দুয়োটাই ব্যৱহাৰ হয়। কিন্তু দুখন দেশৰ মাজত যত খিনি লেন-দেন হয় সকলো যদি নগদ সোণ দি কৰিবলগীয়া হয় তেন্তে সেইটো এক ডাঙৰ বিপত্তিৰ বিষয় হৈ উঠিব। তাৰ উপৰিও নগদ সোণ পৃথিৱীত যিখিনি বৰ্ত্তমান আছে, আন্তৰ্জাতিক বাণিজ্যৰ পৰিমাণো তাতকৈ বেছি হ'ব নোৱাৰে। কাৰণ সেই সীমা পালেই, তাৰ পিছত আৰু দাম দিয়াৰ কাৰণে টকাৰ সংস্থান নাথাকিব। যি সোণ দামৰ বাবে দিয়া হ'ল, তাৰ অলপ অন্তত আকৌ ঘৰলৈ যেতিয়ালৈকে উভতি নাহে তেতিয়ালৈকে বাহিৰৰ লগত কোনোধৰণৰ বেচা-কিনা কৰ নচলিব।

কিন্তু আচলতে সেইটো নহয়। ১৯২৯ চনত সোণৰ টকাৰ মুঠ পৰিমাণ আছিল এঘাৰশ কোটি ডলাৰ সেই বছৰতে এক দেশৰপৰা অন্য দেশলৈ মুঠ

যি মাল বস্তু পঠোৱা হৈছে, তাৰ দাম বত্ৰিশ কোটি ডলাৰ। এখন দেশৰপৰা আন এখন দেশে টকা ধাৰে নিছে চাৰিশ কোটি ডলাৰ, ভ্ৰমণকালৰ ব্যয়, মাল-বস্তু কঢ়িয়াৰ মাচুল, বিদেশত যিসকল কাম কৰিছে তেওঁলোকৰ ঘৰলৈ পঠোৱা টকা, ইত্যাদিৰ মুঠ পৰিমাণ হৈছিল প্ৰায় চাৰিশ কোটি ডলাৰৰ ওচৰা-উচৰি। এতেকে আন্তৰ্জাতিক লেন-দেনৰ মুঠ পৰিমাণ হলগৈ চল্লিশ কোটি ডলাৰৰ। অৰ্থাৎ মুঠ যি সোণৰ টকা আছিল তাৰে চাৰিগুণৰ ওচৰা-উচৰি।

তেনেহলে বিদেশৰ দেনা শোধ কৰা হ'ল কেনেকৈ? ইয়াৰ গোটেই টকা নগদ সোণেৰে পৰিশোধ কৰা সম্ভৱ হোৱা নাই, সেইটো বুজিবই পৰা গৈছে। সাধাৰণতে এই দেনা পৰিশোধ কৰা হৈছে এক প্ৰকাৰৰ চৰকাৰী মুদ্ৰাৰে, অথবা 'বেঙ্ক' বা হুন্দীৰ দৰে ঋণ পত্ৰৰে। বণিকসকলে তেওঁলোকৰ দিবলগীয়া মূল্যৰ স্বীকৃতি পত্ৰস্বৰূপে সেইবোৰ বিদেশলৈ পঠাই দিছিল। এই কামটো চলিছিল, যি বেঙ্কবোৰে মুদ্ৰা বিনিময়ৰ কাম কৰে সেইবোৰৰ জৰিয়তে। বিনিময় বেঙ্ক-বোৰে বিভিন্ন দেশত য'ত যিমান কিনোতা আৰু বেচোতা আছে তেওঁলোকৰ লগত সংশ্ৰৱ ৰাখে। তেওঁলোকৰপৰা যি হুন্দীবোৰ পায় তাৰ যোগেদি এওঁলোকৰ দিয়া আৰু পোৱা টকাৰ মাজত এটি সমতা ৰক্ষা কৰে। যদি কোনো সময়ত দেখা যায় বেঙ্কৰ হাতত আৰু দিব পৰা হুন্দী নাই, তেতিয়া ই সুপৰিচিত চৰকাৰী ঋণ-পত্ৰ (Securities) বা আন্তৰ্জাতিক ব্যৱসায়ৰ প্ৰতিষ্ঠানৰ চেয়াৰ আদিৰে ঋণ শোধ কৰিব পাৰে। কেৱল টেলিগ্ৰাফৰ বাতৰি পঠিয়ায়ে এইবোৰ [illegible] বিক্ৰী বা হস্তান্তৰ কৰিব পাৰি, এতেকে ইয়াৰে পৃথিৱীৰ অন্য প্ৰান্ততো অনতিপ[illegible] টকাৰ দাবী শোধ কৰা হয়।

এতেকে দেখিছা আন্তৰ্জাতিক বাণিজ্যৰ টকা প্ৰকৃততে শোধ কৰা হয় কেন্দ্ৰীয় বিনিময় বেঙ্কৰ যোগেদি। ব্যৱসায়ৰ দৈনন্দিন প্ৰয়োজন মিটোৱাৰ কাৰণেই এই বেঙ্কবোৰে হুন্দী আৰু চিকিউৰিটি এই দুই ৰকমৰ দলিলকে প্ৰচুৰ পৰিমাণে মজুত কৰি ৰাখিবলগীয়া হয়।

সোণৰ মাল যিবোৰ দেশত আছিল তাত দেশৰ মুদ্ৰাৰ মূল্যকে সোণৰ দৰে ঠিক কৰি দিয়া হৈছিল, যি কোনো লোকেই কৰ পাৰিছিল, তেওঁৰ পাবলগীয়া নগদ সোণেৰে শোধ কৰি দিব লাগিব। এতেকে এইবোৰ দেশৰ মুদ্ৰাৰ মূল্য আছিল ধৰা বন্ধা। ইয়াৰ এটাৰ লগত আনটোৰ বিনিময় কৰা চলিছিল। কাৰণ ইয়াৰ প্ৰত্যেকটোকেই গননি কৰি সোণ কৰি লব পাৰি। দুখন দেশৰ মুদ্ৰাৰ মাজত যি মূল্য বন্ধা আছে, তাৰ কেৱল কম বেছি হব পাৰে, এখন দেশৰপৰা আন দেশলৈ সোণ পঠোৱাৰ যিখিনি খৰচ সেইখিনিৰ হিচাবত। কাৰণ তেওঁৰ নিজৰ দেশত সোণৰ মূল্য বেছি হৈছে দেখিলে, ব্যৱসায়ীসকলে সহজেই আন দেশৰপৰা সোণ আনি লব পাৰে। ইয়াৰ নাম হৈছে 'স্বৰ্ণমান ব্যৱস্থা।' এই ব্যৱস্থা যিমান দিন চলিছিল সিমানদিনে বিভিন্ন দেশৰ নিজৰ মুদ্ৰাৰ মূল্যও স্থিৰ আছিল। ইয়াৰ কল্যাণেই উনৈশ শতিকাত আৰু বিশ্বযুদ্ধ আৰম্ভ হোৱা-লৈকে পৃথিৱীৰ আন্তৰ্জাতিক বাণিজ্য ক্ৰমান্বয়ে বাঢ়ি উঠিছিল। এতিয়া এই ব্যৱস্থা ভাঙি পৰিছে, তাৰ ফলত টকাৰ অদ্ভুত আচৰণ আৰম্ভ হৈছে, বেছিভাগ দেশৰেই মুদ্ৰাৰ মূল্যৰ স্থিৰতা বুলি একো নাই।

বাহিৰৰপৰা এখন দেশলৈ যিমান বস্তু আমদানি হয়, তাৰ ৰপ্তানিৰ পাওনা মোটামুটি হয় তাৰ সমানেই। তাৰ অৰ্থ হ'ল যি বস্তু ই বাহিৰৰপৰা পাইছে, তাৰ দাম দিছে যি বস্তু নিজে বাহিৰলৈ পঠাইছে তাৰে। কিন্তু কথাটো সম্পূৰ্ণ সঠিক নহয়। বহুত সময়ত দেখা যায় ইপক্ষৰ আৰু সিপক্ষৰ ভিতৰত টকাৰ হিচাবত অলপ হীন দেখি হয়। ৰপ্তানিতকৈ য'ত বেছি টকাৰ মাল আমদানি হৈছে, তেতিয়া হিচাব মিলাবৰ কাৰণে সেই দেশখনে অলপ নগদ টকাও ইয়াৰ ওপৰত ধৰি দিবলগীয়া হয়।

বিভিন্ন দেশৰ মাজত যি সোঁত বব ধৰিছে সি কোনোদিনেই নিয়ন্ত্ৰিত নহয়। এই সোঁত প্ৰায় সলনি হৈ থাকে, কেতিয়াবা বেছি বস্তু বিক্ৰী হয়, কেতিয়াবা নহয়, আৰু ই সলনি হোৱাৰ লগে লগেই হুণ্ডীৰ পৰিমাণ আৰু প্ৰয়োজনবো কম বেছি হয়। বহুত সময়ত দেখা যায়—যি ধৰণৰ হুণ্ডী ইয়াৰ তেতিয়া দৰকাৰ নাহিব, এনে হুণ্ডীয়েই এখন দেশৰ হাতত বহুতো জমা হৈ গৈছে, আন যেনে হুণ্ডী তেওঁলোকৰ দৰকাৰ, অথচ সেইটো তেওঁলোকৰ যথেষ্ট পৰিমাণে হাতত নাই। ফ্ৰান্সৰ হাতত হয়তো জাৰ্মাণ মাৰ্কৰ অফুৰন্ত আৰু জাৰ্মাণীৰ দিবলগীয়া হুণ্ডী প্ৰয়োজনতকৈ বেছি আছে, যাকো আমেৰিকাৰ নগত অৰ্থ শোধ কৰিব পৰা ইমান পৰিমাণৰ হুণ্ডী ইয়াৰ হাতত নাই। ফ্ৰান্সে তেতিয়া স্বভাৱতেই প্ৰথম হুণ্ডীবোৰ বেচিব খুজিব, তাৰ সলনি কিনিবলৈ বিচাৰিব এনে হুণ্ডী যাৰ টকা ডলাৰৰ অঙ্কত আৰু আমেৰিকাৰ ওচৰত পাবলগীয়া আছে। কিন্তু সেইটো যদি কৰিব লাগে তাৰ কাৰণে হুণ্ডী বেচা-কিনাৰ এখন কেন্দ্ৰীয় বজাৰৰ প্ৰয়োজন। সেই ৰকমৰ বজাৰ এখন হব পাৰে যাথোন সেই দেশত যাৰ এই তিনিটা গুণ আছে—

(১) বৈদেশিক বাণিজ্য যাৰ বৰ বেছি আৰু বিচিত্ৰ ধৰণৰ হব, যেন সকলো প্ৰকাৰৰ হুণ্ডীয়েই ইয়াৰ হাতত প্ৰচুৰ পৰিমাণে মজুত থাকিব পাৰে।

(২) সকলো ৰকমৰ চিকিউৰিটি (অৰ্থাৎ চৰকাৰী বা আধা চৰকাৰী সংৰক্ষিত ঋণ-পত্ৰ) তাত পোৱা যায়, অৰ্থাৎ পৃথিৱীত সেয়ে হব মূল ধনৰ আটাইতকৈ ডাঙৰ বজাৰ।

(৩) সোণৰো সেইখনেই হব ডাঙৰ বজাৰ, য'ত হুণ্ডী আৰু চিকিউৰিটি যদি দুয়োটাৰেই অভাৱ হয় তেন্তে সোণ সহজে যোগাৰ কৰি লব পৰা যায়।

উনৈশ শতিকাত ইংলণ্ডই আছিল একমাত্ৰ দেশ, যাৰ এই তিনিটা গুণেই আছিল। শিল্প ক্ষেত্ৰত ই প্ৰথম নামিছে, তদুপৰি প্ৰকাণ্ড এখন সাম্ৰাজ্যৰ মালিক, তাত ইয়াৰেই একচেটিয়া ব্যৱসায়, এতেকে আন্তৰ্জাতিক বজাৰ পৰিমাণো ইয়াৰেই সকলোতকৈ বেছি। কৃষিৰ উচ্ছেদ কৰি ই দেশক শিল্প প্ৰাচুৰ্য দিলে। ইয়াৰ জাহাজত উঠাই পৃথিৱীৰ প্ৰত্যেক বন্দৰৰপৰাই বস্তু আৰু হুণ্ডী পঠোৱা হ'ল। শিল্পত এই উন্নতিৰ ফলত ইংলেণ্ড হৈ উঠিল মূলধনৰ সকলোতকৈ ডাঙৰ বজাৰ। সকলো ধৰণৰ বিদেশী চিকিউৰিটি আহি ইয়াৰ হাতত জমা হ'ব ধৰিলে, আৰু এটি বিষয়ত ইয়াৰ এই প্ৰতিষ্ঠা সহজ হৈ পৰিল পৃথিৱীত যিমান সোণ উৎপন্ন হয়, তাৰ দুই তৃতীয়াংশই হৈছিল বৃটিছ সাম্ৰাজ্যৰ এলেকাৰ ভিতৰত

দক্ষিণ আমেৰিকাত, অষ্ট্ৰেলিয়াত, কানাডাত, ভাৰতবৰ্ষত। এই সকলো খনিৰে সোণ গৈ লণ্ডনত জমা হৈছিল, কাৰণ যিমান সোণ তেওঁলোকে উৎপন্ন কৰিছিল, সকলোখিনি বেঙ্ক অব ইংলেণ্ডই এটা বন্ধা ধৰা দামত কিনি লৈছিল।

এইদৰে লণ্ডন চহৰ পৃথিবীৰ ভিতৰত হুণ্ডী, চিকিউৰিটি, আৰু সোণৰ সৰ্ব-প্ৰধান বজাৰত পৰিণত হ'ল। টকা কড়িৰ কথাই ই হ'ল পৃথিবীৰ ৰাজধানী। য'তেই কোনো দেশৰ চৰকাৰে বা বেঙ্কৰ মালিকে দেখিলে—বিদেশৰ লগত এটা লেন-দেনৰ দৰকাৰ অথচ সেইটো কৰিবলৈ তেওঁলোকৰ নিজৰ দেশত সঙ্গতি নাই—তেতিয়া তেওঁলোকে লৰি গৈছিল লণ্ডনলৈ—তাত সকলো ৰকমৰ বাণিজ্য আৰু ঋণ সংক্ৰান্ত কাগজ-পত্ৰ কিনিবলৈ পোৱা যায়-সোণ, পোৱা যায়। পাউণ্ড, হলগৈ ব্যৱসায়-বাণিজ্যৰ জীৱন্ত প্ৰতীক। ডেনমাৰ্ক বা চুইডেনৰ হয়তো দক্ষিণ আমেৰিকাৰপৰা কিবা কিনা দৰকাৰ, ই কিনা-বেচাৰ চুক্তিপত্ৰ লেখা হৈছিল পাউণ্ড,—অথচ যদিও সেই মাল-বস্তু লণ্ডন কোনো দিনেই নাপায়হি।

ইংলেণ্ডৰ পক্ষে ই এটা অতি লাভবান ব্যৱসায়। কাৰণ এই কামৰ কাৰণে পৃথিবীৰ সকলো দেশেই ইয়াক অলপ উপঢৌকন দিছিল ব্যৱসায়ৰ লাভখিনিতো আছিলেই। তাৰ উপৰিও বিদেশী ব্যৱসায়ী প্ৰতিষ্ঠানসমূহে, বস্তুৰ মূল্যৰ বাবদ বা আমদানি ৰপ্তানিৰ হিচাব কৰি যি পাবলগীয়া টকা পাইছিল সেইখিনিও তেওঁ-লোকে ইংলেণ্ডৰ বেঙ্কতেই জমা ৰাখিছিল। তেনেহলে ভৱিষ্যতত যদি আকৌ কাৰোবাক টকা দিবলগীয়া হয়, তাকো তাৰপৰাই দিব পৰা হ'ব। এই বেঙ্ক-বোৰে আকৌ সেই টকা অন্যান্য লোকক কম দিনৰ ম্যাদত ধাৰে দিয়ে, তাৰ পৰাও তেওঁলোকৰ বেছ লাভ হয়। তদুপৰি বিদেশৰ শিল্পপতিসকলৰ অৱস্থা সম্বন্ধেও ইংলেণ্ডৰ এই বেঙ্কবোৰে সকলো কথা জানিব পাৰিছিল। তেওঁলোকৰ হাতেদি যিবোৰ হুণ্ডী পাৰ হৈ গৈছে, তাৰপৰাই তেওঁলোকে জানিব পাৰিছিল জাৰ্মাণীয়ে বা আন আন দেশৰ ব্যৱসায়ীসকলে কি দামত বস্তু দিছে। আনকি আন দেশৰ কাৰ ওচৰত এওঁলোকে মাল বেচিছে তেওঁলোকৰো নাম, ধৰ্মও জানিব পাৰিছিল।

এই আন্তৰ্জাতিক ব্যৱসায়ক বঢ়াই আৰু সুপ্ৰতিষ্ঠিত কৰি তোলাৰ কাৰণে ইংলেণ্ডৰ বেঙ্কবোৰে পৃথিবীত সকলোতে শাখা আৰু প্ৰতিনিধি প্ৰতিষ্ঠান বহুৱাবলৈ আৰম্ভ কৰিলে। দেশৰ যতে যিমান নামকৰা কাৰখানা বা ব্যৱসায়ী প্ৰতিষ্ঠান আছে সেইবোৰৰ বিষয়ে এওঁলোকে সকলো সময়তে খবৰ-বাতি লৈছিল, যি য'ত খবৰ পাই তাক লিখি ৰাখিছিল। তাৰ পিছত, এই ধৰণৰ কোনো প্ৰতিষ্ঠানে যেতিয়া এখন হুণ্ডী জাৰি কৰিলে, বৃটিছ বেঙ্ক বা ইয়াৰ প্ৰতিনিধি প্ৰতিষ্ঠান যি তাত আছে তেওঁ সেই হুণ্ডীৰ দাম জানে। এতেকে নিৰাপদ বুলি ভাবিলেই তেওঁ তাৰ জামিন হ'ব পাৰিছে ইয়াৰ নাম হ'ল "স্বীকাৰ কৰা," কাৰণ বেঙ্কে সেই "বিলটিৰ ওপৰত" "স্বীকৃত" বুলি লেখি দিছিল, এনে ধৰণৰ জামিন পত্ৰ, বা স্বীকৃতি-পত্ৰ নাথাকিলে লণ্ডনত বা আন ঠাইত কোনো বজাৰত নজনা বিদেশী প্ৰতিষ্ঠানৰ সেই হুণ্ডী কিনোতা নোলাব।

এইদৰে এশ বছৰো বেছি কাল ধৰি টকা পইচা আৰু অৰ্থনীতিৰ বিষয়ত

ইংলেণ্ড হলগৈ গোটেই পৃথিৱীৰ ৰাজধানী। আন্তৰ্জাতিক লেনদেন আৰু বাণিজ্যৰ সকলো ব্যৱসায় চলিব ধৰিলে; ইয়াৰ ইঙ্গিতত। লণ্ডনৰ বজাৰত প্ৰচুৰ টকা সেয়ে আন ঠাইৰ তুলনাত তাত টকাও সহজে পোৱা গৈছিল। এই আকৰ্ষণৰ কাৰণেই সকলো বেঙ্কৰ মালিকেই লণ্ডনত গৈ জমা হ'ল। পৃথিৱীৰ সকলো ঠাইৰপৰা বাণিজ্য আৰু টকা-পইচাৰ লেনদেন যত যি জানিবলগীয়া আছে তাৰ সকলো বাতৰি আহি পায় বেঙ্ক অব ইংলেণ্ডৰ গভৰ্ণৰৰ ওচৰত। তেওঁ সথিপত্ৰ চায়ে কব পাৰিছিল কোন দেশৰ আৰ্থিক অৱস্থা কি ৰকমৰ। আনকি বহুত সময়ত দেখা গৈছিল এই সম্বন্ধে তেওঁ যিমান জানে, সেই দেশৰ চৰকাৰেও সিমানখিনি নাজানিছিল। এতেকে যিবোৰ চিকিউৰিটিৰ লগত আন কোনো দেশৰ চৰকাৰৰ স্বাৰ্থজড়িত তাৰে অলপ কিনা বা বেচাৰ ভাও ধৰি বা বিশেষ কৌশলেৰে একপ মিয়াদী ধাৰ দি বা নিদি সেই বিদেশী ৰাষ্ট্ৰৰ ৰাজনৈতিক কাৰ্যকলাপ এওঁলোকে নিজৰ ইচ্ছা জনাব পাৰিছিল। ইয়াৰ নাম আছিল উচ্চ আৰ্থিকনীতি সাম্ৰাজ্যবাদী জাতিসমূহে যিবোৰ উপায়েৰে আন দেশৰ ওপৰত জুলুম কৰে, এইবোৰেই আছিল সকলোতকৈ কাৰ্যকৰী পথবোৰৰ অন্যতম—এতিয়াও ইয়াৰ শক্তি লুপ্ত হোৱা নাই।

বিশ্বযুদ্ধৰ আগতে পৃথিৱীৰ অৱস্থা এনে আছিল। লণ্ডন চহৰ আছিল তেতিয়াৰ বৃটিছ সাম্ৰাজ্যৰ শক্তি আৰু সমৃদ্ধিৰ কেন্দ্ৰস্থান আৰু প্ৰতীক। তাৰ পিছত যুদ্ধৰ ফলত পৃথিৱীৰ বহুতো পৰিবৰ্তন হ'ল। পুৰণি ব্যৱস্থাই ভাঙি পৰিল; বৃটেনে ডাঙৰ জয়লাভ কৰিলে, কিন্তু লণ্ডন আৰু ইংলেণ্ডৰ সেই জয়ৰ মূল্য বহুখিনি দিবলগীয়া হ'ল।

যুদ্ধৰ পিছত কি কি হ'ল তাৰ কাৰণ মই ইয়াৰ পিছৰ চিঠিত কম।

১৮৭

ডলাৰ, পাউণ্ড, টকা

২৭ জুলাই, ১৯৩৩

বিশ্বযুদ্ধৰ ফলত পৃথিৱীখন তিনি ভাগত বিভক্ত হ'ল। যুদ্ধ কৰা দুয়ো পক্ষ গ'ল দুফালে, তৃতীয় ভাগ হ'ল নিৰপেক্ষ দেশবোৰ লৈ। যুদ্ধৰত দুই বিৰোধী পক্ষৰ ভিতৰত বাণিজ্য বা আন কোনো বিষয়তে সম্পৰ্ক নাথাকিল, থাকিল কেৱল এটি মাথোন গোপন সম্পৰ্ক— পৰস্পৰৰ ভিতৰত চোৰাংচোৱাগিৰী। আন্তৰ্জাতিক বাণিজ্যতো একেদৰে ওলট-পালট হৈ গ'ল। ইংলেণ্ড, ফ্ৰান্স আৰু মিত্ৰপক্ষৰ দেশসমূহ তেতিয়া সাগৰৰ পথৰ গৰাকী, সেয়ে এওঁলোকে নিৰপেক্ষ দেশবোৰৰ লগত আৰু উপনিৱেশবোৰৰ লগত অলপ বাণিজ্য তেতিয়াও চলাব পাৰিছিল। কিন্তু জাৰ্মাণ চাবমেৰিণৰ উপদ্ৰৱত সেই বাণিজ্যও বন্ধ হবলগীয়া হ'ল।

এই যুদ্ধৰত দেশবোৰৰ যিখিনি সম্পত্তি আৰু সংস্থান আছিল সকলোখিনি ঢালি দিয়া হ'ল যুদ্ধৰ প্ৰয়োজনৰ কাৰণে, অসংখ্য ধন এই ধৰণে ব্যয় হব ধৰিলে। প্ৰায় তেৰ বছৰ মানলৈকে ইংলেণ্ড আৰু ফ্ৰান্সে তেওঁলোকৰ তুলনাত অতি দুখীয়া দেশবোৰক অৰ্থসাহায্য কৰি গ'ল। ইয়াৰ কাৰণে এই দুয়োখন দেশেই নিজৰ মানুহৰ পৰা টকা ধাৰে লবলগীয়া হ'ল। আমেৰিকাৰ ওচৰতো বহু টকা বাকী পেলোৱা হ'ল। ১৯১৭ চনৰ মাৰ্চ্চ মাহত ইংলেণ্ডে আমেৰিকাক পাঁচকোটি পাউণ্ডৰ এটা দেনা শোধ কৰাৰ কথা আছিল, সেই টকা দিব নোৱাৰিলে। ইংলেণ্ড, ফ্ৰান্স আৰু তেওঁলোকৰ মিত্ৰ থকাৰ সৌভাগ্য ক্ৰমে ঠিক এই সংকটৰ মুহূৰ্ত্তত আমেৰিকা আহি তেওঁলোকৰ পক্ষ লৈ যুদ্ধত যোগ দিলে। আমেৰিকাৰ বাহিৰে তেতিয়া টকা-কড়িৰ সংস্থান নাছিল। তেতিয়াৰপৰা যুদ্ধৰ একেবাৰে শেষলৈকে যুক্তৰাষ্ট্ৰই মিত্ৰপক্ষৰ সকলো দেশকে যুদ্ধৰ কাৰণে ব্যয়ৰ সকলো টকা যোগালে। স্বাধীনতা ধাৰ আৰু জয় ধাৰ দি ই নিজৰ লোকসকলৰপৰা বিপুল পৰিমাণৰ টকা সংগ্ৰহ কৰিলে। নিজে মুক্ত হস্তে টকা খৰছ কৰিলে আৰু মিত্ৰপক্ষকো টকা ধাৰে দিলে। ইয়াৰ ফল কি হ'ল তাক মই তোমাক আগতে কৈছোঁ। যুদ্ধ যেতিয়া ভাঙিল তেতিয়া দেখা গ'ল যুক্তৰাষ্ট্ৰ গোটেই পৃথিৱীৰ মহাজন হৈ পৰিছে। যুদ্ধ যেতিয়া আৰম্ভ হয় তেতিয়া য়ুৰোপৰ ওচৰত আমেৰিকাৰ চৰকাৰে পাঁচশ কোটি টকাৰ ধৰুৱা আছিল কিন্তু যুদ্ধ যেতিয়া শেষ হ'ল তেতিয়া য়ুৰোপেহে আমেৰিকাৰ ওচৰত হাজাৰ কোটি টকাৰ ধৰুৱা হৈ পৰিল।

যুদ্ধত এয়েই অকল আমেৰিকাৰ আৰ্থিক লাভ নহয়। আমেৰিকাৰ বৈদেশিক বাণিজ্যও বহুত বাঢ়ি গৈছে। ইংলেণ্ড আৰু জাৰ্মানীৰ বাণিজ্য খাওঁতেই তাৰ ঠাই দখল কৰিছে, তেতিয়া আমেৰিকাৰ বাণিজ্যৰ পৰিমাণ বৃটেনৰ সমান। পৃথিৱীত মুঠতে যি সোণ আছিল তাৰো দুই তৃতীয়াংশ গৈ জমা হয় আমেৰিকাৰ ঘৰত। বিদেশী চৰকাৰবোৰৰ টকা আৰু বস্তুও বহুতো পৰিমাণে ইয়াৰ বাকুত গৈ জমা হ'ল।

পৃথিৱীৰ টকাৰ বজাৰত তেতিয়া যুক্তৰাষ্ট্ৰ এখন প্ৰভাৱশালী দেশ হৈ পৰিল। কেৱল ইয়াৰ দিবলগীয়া টকা আদায় কৰি দিয়া বুলি দাবী কৰিয়েই ই যি কোনো ধৰুৱা দেশক দেউলীয়া কৰি দিব পাৰে। এতেকে তেতিয়া গোটেই পৃথিৱীৰ টকা-পইচাৰ বিষয়ত লণ্ডনেই প্ৰভুত্ব কৰি থকা দেখি ইয়াৰ ঈৰ্ষা হ'ল। নিউয়ৰ্ক তেতিয়া সকলোতকৈ ধনে ঐশ্বৰ্যে সমৃদ্ধিশালী চহৰ, ইয়াৰ ইচ্ছা হ'ল নিউইয়ৰ্কে তাৰ ঠাই দখল কৰক। এতেকে লণ্ডন আৰু নিউইয়ৰ্কৰ বেঙ্ক ...লিক আৰু মহাজনসকলৰ মাজত জীৱন মৰণৰ সংগ্ৰাম আৰম্ভ হ'ল—ইয়াৰ পিছত থাকিল দুয়ো দেশৰ চৰকাৰ।

আমেৰিকাৰ হেঁচাত পৰি ইংলেণ্ডৰ তলি লৰি গ'ল। বেঙ্ক অৱ ইংলণ্ডে আৰু তাৰ টকাৰ বাবে সোণ দি কুলাব নোৱাৰিলে। পাউণ্ড, ষ্টাৰ্লিঙৰ (সেইটো তেতিয়া 'স্বৰ্ণমান' ৰূপত থাকি পৰিছে) মূল্য সলনি কৰিবলগীয়া হ'ল। ফ্ৰান্সৰ টকা ফ্ৰাঙ্কৰো মূল্য কমি গ'ল। চাৰিওফালে ভাঙনে ধৰিলে, তাৰ মাজত আমেৰিকাৰ ডলাৰেই পাহাৰৰ দৰে মূৰ তুলি থিয় হৈ থাকিল।

দেখি মনে ধৰে এতিয়া এই অৱস্থাত পৃথিৱীৰ সকলো টকা-পইচাৰ কাৰবাৰ আৰু সোণ লণ্ডনৰ সলনি নিউইয়ৰ্কত গৈ জমা হ'ব। কিন্তু বৰ আচৰিত যে এইটো নহ'ল! আন আন দেশৰ যিমান হুণ্ডী আৰু খনিৰ যিমান সোণ সকলো তেতিয়া আগৰ দৰেই লণ্ডনত গৈ জমা হৈ থাকিল। এইটো হৈছিল অৱশ্যে মানুহে ডলাৰতকৈ পাউণ্ড পাবলৈকে বিচৰা বুলি নহয়—ডলাৰ সহজতে পোৱা নগৈছিল বুলিহে।

মই তোমাক স্বীকৃতি ব্যৱস্থাৰ কথা কৈছোঁ বৃটিছ বেঙ্কবোৰে তেওঁলোকৰ শাখা আৰু প্ৰচলিত প্ৰতিষ্ঠানবোৰৰ যোগেদি গোটেই পৃথিৱীজুৰি এই ব্যৱসায় চলাইছিল। আমেৰিকাৰ বেঙ্কবোৰৰ তেনে ধৰণৰ কোনো শাখা বা বিশেষতঃ তেনেকুৱা প্ৰচলিত প্ৰতিষ্ঠান নাছিল, সেয়ে বিদেশী হুণ্ডী স্বীকাৰ কৰি সেইবোৰ নিজৰ হাতলৈ অনাৰ উপায় তাৰ নাছিল। স্বভাৱতে সেই হুণ্ডীবোৰ বৃটিছ বেঙ্কবোৰৰ যোগেদি লণ্ডন পাইছিলগৈ। এই বিপদ দেখি আমেৰিকাৰ বেঙ্কবোৰে অনতিপলমে আন আন সকলো দেশতে নিজৰ শাখা আৰু প্ৰচলিত প্ৰতিষ্ঠান খুলিব ধৰিলে, বহু ঠাইত ধুনীয়া ধুনীয়া অট্টালিকা নিৰ্মাণ হ'ল। কিন্তু আৰু এটা অসুবিধা ইয়াত আছিল। স্থানীয় অৱস্থা আৰু স্থানীয় ব্যৱসায় বাণিজ্য সম্বন্ধে বিশেষকৈ সকলো খাতবি খাৰে, এনে এদল দক্ষ শিক্ষিত লোক নহলে 'স্বীকৃতি'ৰ কাম চলাব নোৱাৰি। বৃটিছ বেঙ্কবোৰে এশ বছৰ ধৰি এনে ধৰণৰ এটি কৰ্মী বাহিনী গঢ়ি তুলিছে, এই কালেদি বাস্তিটোৰ ভিতৰতে তেওঁলোকৰ সমান হৈ উঠা সহজ নাছিল।

আমেৰিকাৰ বেঙ্কবোৰে তেতিয়া ফ্ৰান্স, চুইজাৰলেণ্ড আৰু হলেণ্ডৰ কিছুমান বেঙ্কৰ লগত লগ লাগি লণ্ডনৰ বিৰুদ্ধে যুঁজিব ধৰিলে, কিন্তু তাৰো বিশেষ ফল নফলিল। ফ্ৰান্স বৰ ধনী দেশ, বহুতো মূলধন ই বাহিৰলৈ ৰপ্তানি কৰে, কিন্তু বিদেশী হুণ্ডীলৈ এটি ব্যৱসায় গঢ়ি তোলাৰ ফালে ই কোনো দিনেই কাণসাৰ কৰা নাই। এইদৰে নিউইয়র্ক আৰু লণ্ডনৰ ভিতৰত যুঁজ চলিব ধৰিলে। সেই যুঁজত মুঠতে লণ্ডনৰ কোনো ক্ষতি নহ'ল। ১৯২৪ চনত এটি নতুন ঘটনা ঘটিল। ইয়াত নিউইয়র্কৰ বৰ সুবিধা হ'ল। জাৰ্মাণীৰ বিৰাট মুদ্ৰাস্ফীতি শেষ হোৱাৰ পিছত ইয়াৰ মাৰ্কৰ মূল্য আকৌ স্থিৰ হৈ পৰিল। মুদ্ৰাস্ফীতিৰ সময়ত জাৰ্মাণীৰ যিমান টকা দেশ এৰি চুইজাৰলেণ্ড আৰু হলেণ্ডলৈ পলাই গৈছিল (এনে বিপদৰ সময়ত মূলধনবোৰ সদায় এনেদৰে পলাই যায়) সেইবোৰ আকৌ জাৰ্মাণীৰ বেঙ্কলৈ উভতি আহিল। টকা পইচাৰ বিষয়ত আমেৰিকাই যি দল গোটাইছিল, জাৰ্মাণীও আহি তেওঁলোকৰ লগ লাগিল—এইবাৰ লণ্ডন মস্কিলত পৰিল। কাৰণ এতিয়া লণ্ডনৰ সহায় নোলোৱা কৈয়ে বিৰাট পৰিমাণৰ আমেৰিকাৰ হুণ্ডী য়ুৰোপৰ হুণ্ডীত ভঙাই লোৱা হৈছে। আৰু লণ্ডনৰ টকাৰ তেতিয়া মূল্যৰ স্থিৰতা নাই, অৰ্থাৎ পাউণ্ডৰ কোনো নিৰ্দিষ্ট সোণৰ মূল্য নাই—পাউণ্ড তেতিয়া 'স্বৰ্ণমান'ৰ পৰা বিচ্যুত হৈ পৰিছে।

লণ্ডন চহৰৰ মহাজনসকলে এইবাৰ ভয় খালে। তেওঁলোকে দেখিলে, আন্তৰ্জাতিক মুদ্ৰাবিনিময়ৰ ব্যৱসায়ত ভাল যিখিনি সেইখিনি পাইছে নিউইয়র্কে আৰু ইয়াৰ মিত্ৰসকলৰ ঘৰত, লণ্ডন ভাগ্যত পৰিছে মাথোন এৰা-বোটলাখিনি। এইটো যদি বন্ধ কৰিবলগীয়া হয় প্ৰথমে পাউণ্ডক আকৌ সোণৰ মূল্যৰ এটি স্থিৰ মূল্য কৰি লব লাগিব।

এতেকে ১৯২৫ চনত পাউণ্ডক তাৰ আগৰ মূল্যতে স্থিৰ কৰি দিয়া হ'ল। ইংলেণ্ডৰ বেঙ্কৰ মালিক আৰু মহাজনসকলৰ পক্ষে এইটো এটা ডাঙৰ জয়লাভ। কাৰণ পাউণ্ডৰ মূল্য ব্যৱসায়ৰ মানেই হৈছে তেওঁলোকৰ আয় বাঢ়ি যোৱা। ইংলেণ্ডৰ শিল্পৰ পক্ষে ইয়াৰ ফল বেয়া হ'ল, কাৰণ ইয়াৰ দ্বাৰা বিদেশৰ বজাৰত আৰু অন্যান্য শিল্পপ্ৰধান দেশবোৰৰ লগত সমানে প্ৰতিযোগিতা কৰা বৃটিছ শিল্পপতিসকলৰ পক্ষে অতি কঠিন হৈ পৰিল। কিন্তু ইংলেণ্ডে বেছ জানি শুনিয়েই ইয়াৰ শিল্পক কিছু পৰিমাণে বলি দিছিল। পাউণ্ডৰ মৰ্যাদা বাঢ়ি গ'ল। কিন্তু তাৰ পিছতে ইংলেণ্ডৰ কিছুমান ভিতৰুৱা বিশৃঙ্খলাই দেখা দিলে, কয়লাৰ খনিত বৰ দীঘলীয়া দিন ধৰি ধৰ্মঘট হ'ল, আৰু পিছত সৰ্বব্যাপী ধৰ্মঘট হ'ল।

আমেৰিকাৰ ওচৰত বৃটিছ চৰকাৰৰ এটা বৰ ডাঙৰ ধাৰ আছিল। আমেৰিকাই যি কোনো মুহূৰ্ত্ততে সেই টকা বিচাৰিব পাৰে। সেইদৰে টকা বিচাৰি ই ইংলেণ্ডক বৰ বিপদত পেলাব পাৰে—পাউণ্ডৰ মূল্য আকৌ কমাই পেলাব পাৰে এতেকে বৃটেনৰ ডাঙৰ ডাঙৰ ৰাজনীতিবিদসকল (আনকি ষ্টানলি বলডুইনো) নিউইয়র্কলৈ গ'ল। যুদ্ধৰ কালত টকাখিনিৰ কিছুমান কিস্তিত শোধ কৰিলে হয় নে নহয়, সেই সম্বন্ধে আমেৰিকাৰ লগত এটি বুজাপৰা কৰা। য়ুৰোপৰ সকলো দেশেই আমেৰিকাৰ ওচৰত টকাৰ ধৰুৱা। কাৰণ এওঁলোকৰ পক্ষে উচিত

আছিল সকলোৰে মিলি এটা পৰামৰ্শ কৰা, আৰু তাৰ পিছত বিশ্বশান্তিৰ সম্ভৱ ভাল চৰ্ত এটা মানি লবলৈ আমেৰিকাক গৈ ধৰা। কিন্তু পাউণ্ডৰ মূল্য আৰু টকা-পইচাৰ বজাৰত লণ্ডনৰ নেতৃত্ব অটুট ৰাখিবলৈ বৃটিছ চৰকাৰ তেতিয়া এনে ভীষণ উৎকণ্ঠিত যে ফ্ৰান্স বা ইটালীৰ লগত আলোচনা কৰিবলৈ তেওঁলোকে পাহৰিয়েই গ'ল। যিমান সম্ভৱ সিমান সোনকালে আমেৰিকাৰ লগত এটা বন্দৱস্ত কৰিবলৈ তেওঁলোক ব্যগ্ৰ হৈ উঠিল। সেই বন্দৱস্ত হ'ল কিন্তু ইংলেণ্ডে বৰ বেছি মূল্য দিবলগীয়া হ'ল, যুক্তৰাষ্ট্ৰ চৰকাৰৰ নিৰ্দেশ মতে কিছুমান অতি কঠিন চৰ্তত এওঁলোক ৰাজী হৈ আছিল। ইয়াৰ পিছত ফ্ৰান্স আৰু ইটালীয়েও তেওঁলোকৰ দিবলগীয়া টকাৰ কাৰণে বন্দবস্ত কৰি ললে—কিন্তু এওঁলোকে বৰ ভাল চৰ্তত তেনে কৰিলে।

এনে ধৰণৰ কঠোৰ পৰিশ্ৰম আৰু ক্ষতি স্বীকাৰৰ ফলত পাউণ্ড আৰু লণ্ডন চহৰ ৰক্ষা পৰিল। কিন্তু পৃথিৱীৰ গোটেই বজাৰত নিউইয়ৰ্কৰ লগত ইংলেণ্ডৰ যি যুদ্ধ চলিছিল সেইটো চলিবই ধৰিলে। নিউইয়ৰ্কৰ হাতত বহুত টকা, তেনেই কম সুদ লৈ দীঘলীয়া কালৰ মিয়াদত টকা ধাৰে দিবলৈ লাগিল। ইমান দিন যিসকলে লণ্ডনৰ বজাৰতে টকা ধাৰ কৰি আহিছে, এনে ধৰণৰ বহুত দেশেই (কানাডা দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলীয়া) নিউইয়ৰ্কক লোভ দেখুৱাই একলীয়া হৈ গ'ল। টকা ধাৰ দিয়াৰ কথাত নিউইয়ৰ্কৰ লগত ফেৰ মৰাৰ সামৰ্থ্য লণ্ডনৰ নাছিল, এতেকে তেতিয়া মধ্য য়ুৰোপৰ বেঙ্কবোৰক কম দিনৰ মিয়াদত টকা ধাৰ দি চালে। কম দিনৰ মিয়াদত টকা ধাৰ দিয়াৰ কথাত বেঙ্ক মালিকসকলৰ অভিজ্ঞান আৰু মৰ্যাদাৰ মূল্য বৰ বেছি সেই কথাত লণ্ডনেই জয়ী হ'ল। এতেকে লণ্ডনৰ বেঙ্কবোৰ ভিয়েনাৰ বেঙ্কবোৰৰ লগত আৰু তেওঁলোকৰ যোগেদি আকৌ মধ্য আৰু দক্ষিণ পূব য়ুৰোপৰ (দানিয়ুৱ আৰু বলকান অঞ্চলৰ) বেঙ্কবোৰৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিলে। এইবোৰ ঠাইত নিউইয়ৰ্কত অলপ অলপ কাৰবাৰ চলাব ধৰিলে।

টকাৰ বজাৰত যি একপ্ৰকাৰ পগলা খেঁাৱাদৌৰ। লণ্ডন আৰু নিউইয়ৰ্কৰ প্ৰতিযোগিতাৰ ফলতেই পানীৰ দৰে টকা আহি য়ুৰোপ ভৰি পৰিল। কম সময়ৰ ভিতৰতে বহুতো লাখপতি আৰু কোটিপতি হৈ পৰিল। এই কাৰবাৰ যিদৰে চলিছিল ই বৰ সহজ। এজন উদ্যোগী লোকে হয়তো কোনো দেশত এটা ৰেলৱে বা আন কোনো চৰকাৰী প্ৰতিষ্ঠান গঢ়ি তুলিব বুলি অনুমতি পত্ৰ ললে, বা জুইশলা তৈয়াৰ আৰু বিক্ৰী কৰা বা এনেধৰণৰ কোনো এটা এক-চেটিয়া অধিকাৰ ললে। তাৰ কাৰণে একোটা কোম্পানী গঢ়া হয়—সেই কোম্পানীয়ে তাৰ 'চেয়াৰ' বা 'ষ্টক' বজাৰত এৰি দিয়ে। এই 'ষ্টক বা চেয়াৰক' জামিন লৈ নিউইয়ৰ্ক বা লণ্ডনৰ ডাঙৰ ডাঙৰ বেঙ্কবোৰে এওঁলোকক অগ্ৰিম টকা দিছিল। এইভাবে মহাজনসকলে নিউইয়ৰ্কৰ বজাৰত শতকৰা ৫ টকা সুদত ডলাৰ ধাৰ কৰিছিল, তাৰ পিছত সেই টকাকে আকৌ শতকৰা ৮ টকা সুদত বাৰ্লিনত বা শতকৰা আঠ টকা সুদত ভিয়েনাক ধাৰ দিছিল। লোকৰ টকাৰে এইদৰে চতুৰ হাতেৰে পৰিচালনা কৰি এইবোৰ মহাজন অতি ধনী হৈ পৰিল। এওঁলোকৰ ভিতৰত এজন বিখ্যাত লোক আছিল, আইভানক্ৰুগাৰ, এওঁ চুইডেনৰ মানুহ, জুইশলাৰ

কাৰবাৰত বহুতো একচোটীয়া ব্যৱসায়ৰ মালিক বুলি এওঁৰ নামেই হৈছিল "জুই-শলাৰ ৰজা"। এসময়ত ক্ৰুগাৰৰ বৰ মান-সম্ভ্ৰম আছিল, কিন্তু এতিয়া প্ৰমাণ হৈ গৈছে যে তেওঁৰ গোটেই ব্যৱসায়টোৱেই আছিল আগৰপৰা গুৰিলৈকে জাল-জুৱাচুৰি। বহুতো টকা তেওঁ আত্মসাৎ কৰিছে। এই সময়ৰ আৰু কেইজনমান বিখ্যাত মহাজন তেওঁলোকৰ অন্য নীতিৰ কাৰণে বিপদত পৰিবলগীয়া হৈছিল। মধ্য আৰু পূৰ্ব য়ুৰোপত ইংলেণ্ড আৰু আমেৰিকাৰ মাজত যি প্ৰতিযোগিতা চলিছিল তাৰ এটা ভাল ফল হ'ল। এওঁলোকৰপৰা অসংখ্য টকা আহিছিল। ১৯২৯ চনত বাণিজ্য সংকট আৰম্ভ হৈছে, তাৰ আগৰ কেইবছৰত য়ুৰোপৰ দেশবোৰ আকৌ নতুনকৈ গঢ়ি উঠিল, ই সম্ভৱপৰ হৈছিল এই টকাৰ কাৰণেই।

ইতিমধ্যে ১৯২৬ আৰু ১৯২৭ চনত ফ্ৰান্সত মুদ্ৰাস্ফীতি ঘটিছে, ফ্ৰাঙ্কৰ দামো বহুত পৰি গৈছে। ফ্ৰান্সত যিসকলৰ হাতত টকা আছিল, তেওঁলোকে সেই টকা বিদেশলৈ পঠালে, তেওঁলোৰ ভয় হ'ল, ফ্ৰাঙ্কৰ দাম পৰি যোৱাৰ ফলত হয়তো সম্পূৰ্ণ টকাখিনিয়েই নষ্ট হব। আন আন দেশৰ চিকিউৰিটি আৰু হুন্দী বহুতো এওঁলোকে কিনিলে। ১৯২৭ চনত ফ্ৰাঙ্কক আকৌ ঠিক কৰি দিয়া হ'ল, সোণৰ মূল্যত তাৰ এটি দামো বান্ধি দিয়া হ'ল, কিন্তু সেই হ'ল গৈ আগৰ যি আছিল তাৰ প্ৰায় এক পঞ্চমাংশৰ সমান। যিসকল ফৰাচীৰ হাতত বিদেশী চিকিউৰিটি আছিল, তেওঁলোকে এইবাৰ সেই চিকিউৰিটি সলনি কৰি ফ্ৰাঙ্কৰ অঙ্কত অলপ কিবা কিনিবলৈ উদগ্ৰীব হৈ পৰিল। সুন্দৰ এটি সুযোগ পালে তেওঁলোকে কাৰণ আগতে তেওঁলোকৰ যিখিনি ফ্ৰাঙ্ক আছিল, তেওঁলোকে এতিয়া তাৰ পাঁচ-গুণ পাব। অথচ মুদ্ৰাস্ফীতিৰ ক্ষতিও এওঁলোকৰ অকণো হোৱা নাছিল, সম্পূৰ্ণ ফ্ৰাঙ্ককে লৈ বহি থাকিলে, বৰ লোকচান ভৰিবলগীয়া হলহেঁতেন। ফৰাচী চৰকাৰে স্থিৰ কৰিলে এই সুবিধাতে তেওঁলোকেও কিছু লাভ কৰি লব। এওঁলোকৰ হাতত যিমান বিদেশী হুন্দী আৰু চিকিউৰিটি আছিল, সকলো তেওঁলোকে কিনি ললে আৰু তাৰ সলনি এওঁলোকে দিলে ফ্ৰাঙ্কৰ অঙ্কত লিখা নতুন ছপা হুন্দী। এইদৰে এই বিদেশী হুন্দী আৰু চিকিউৰিটিবোৰ হাতত পায় ফৰাচী চৰকাৰ হঠাৎ অতি ধনী হৈ উঠিল, প্ৰকৃততে সেই সময়ত ইয়ান বেছি হুন্দী আৰু কাৰো হাততেই নাছিল। টকাৰ বজাৰত নেতৃত্ব লৈ ইংলেণ্ড বা আমেৰিকাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰাৰ ইচ্ছা এওঁলোকৰ মুঠেই নাছিল সেই সামৰ্থ ও নাছিল, কিন্তু দুয়ো পক্ষৰ ওপৰত অলপ প্ৰভাৱ পেলোৱাৰ অৱস্থা তেওঁলোকৰ তেতিয়া হৈছিল।

ফৰাচীসকল বৰ সাৱধানে চলা জাতি। তেওঁলোকৰ চৰকাৰো তেনে ধৰণেৰে। বৰ বেছি লাভৰ আশা আৰু তাৰ লগে লগে যিখিনি আছে তাকো নাই কৰাতকৈ নিৰাপদে থাকি অলপ লাভটোকে তেওঁলোকে ভাল বুলি ভাবে। এই ক্ষেত্ৰতো ফৰাচী চৰকাৰ সাৱধান হ'ল, বঢ়া টকা খিনি কম সুদতে লণ্ডনৰ ভাল ভাল বেঙ্ক-বোৰক ধাৰ দিবলৈ ধৰিলে। এওঁলোকে হয়তো বৃটিছ বেঙ্কক টকা ধাৰে দিছিল দুটকা সুদত তেওঁলোকে সেই টকা ৫ বা ৬টকা সুদত ধাৰ দিছিল জাৰ্মাণ বেঙ্কক তেওঁলোকে আকৌ সেই টকা ভিয়েনাক দিছিল, শতকৰা ৮ বা ৯ টকা সুদ, শেষলৈ টকাটো হয়তো হাঙ্গেৰী বা বলকাম লৈ গৈ যেতিয়া পাইছিল তাৰ সুদ হয়তো শত-কৰা ১২ টকা হৈছিল গৈ। ধন আদায় নোহোৱাৰ সম্ভাৱনা যিমান বেছি সুদৰ

হাবো সিমান বেছি হয়, কিন্তু বেঙ্ক-অব-ফ্ৰান্সে কোনো অস্থিৰ সন্তাষনাৰ প্ৰতি আচৰিত হোৱা নাছিল। এইদৰে ফ্ৰান্সে বৰ বেছি পৰিমাণ টকা (অৰ্থাৎ দেশৰ বত ষ্টাৰ্লিঙৰ অঙ্কত লিখা হুণ্ডী কিনিছিল) লণ্ডনৰ বেঙ্কত জমা ৰাখিলে, লণ্ডনকো ইয়াৰে আমেৰিকাৰ লগত যুঁজাত বৰ সহায় হ'ল।

ইতিমধ্যে বাণিজ্য সংকট বাঢ়ি আহিল। কৃষিজাত বস্তুৰ দাম দিনে দিনে কমিব ধৰিলে। ১৯৩০ চনত শৰৎ কাল গমৰ দাম ইমান নামি গল যে পূব য়ুৰোপৰ বেঙ্কবোৰে তেওঁলোকৰ ধকৱাৰপৰা টকা আদায় কৰিব নোৱাৰিলে, এতেকে ভিয়েনাৰ বজাৰে পাউণ্ড আৰু ডলাৰৰ অঙ্কত যি টকা ধাৰ কৰিছিল সেই-বোৰ শোধ কৰিব নোৱাৰিলে। ইয়াৰ ফলত ভিয়েনাত বেঙ্কৰ সংকট উপস্থিত হ'ল। ভিয়েনাৰ সকলোতকৈ ডাঙৰ বেঙ্ক ক্ৰেডিট আনষ্টাল্ট্ বন্ধ হৈ গল, আৰু একেবাৰে ধ্বংস হ'ল। ইয়াৰ ফলত আকৌ জাৰ্মাণীৰ বেঙ্কবোৰৰ অৱস্থা বেয়া হৈ আহিল। মাৰ্কৰও মূল্য হ্ৰাস আসন্ন হৈ পৰাৰ সম্ভাৱনা হ'ল। কিন্তু তেতিয়া মাৰ্কৰ মূল্য পৰি গলে, জাৰ্মাণীত, ইংলেণ্ড আৰু আমেৰিকাৰ যিমান মূলধন খাটিছে সেইবোৰ বিপন্ন হয়। সেই সম্ভাৱনা আঁতৰাবলৈকে প্ৰেচিডেণ্ট হুভাৰে ঘোষণা কৰিলে এতিয়া এবছৰৰ ভিতৰত দেনা বা ক্ষতি পূৰণৰ টকা দিব নালাগে। সেই সময়ত ক্ষতি পূৰণৰ টকা জোৰ কৰি আদায় কৰিবলৈ গলে জাৰ্মাণীৰ আৰ্থিক অৱস্থা একেবাৰে ভাঙি পৰিলহেঁতেন। শেষত দেখা গল ইয়াৰেও কুলুৱা নাই, আন আন দেশৰ ওচৰত জাৰ্মাণীৰ যিবোৰ বে চৰকাৰী ঋণ আছে, তাকো তেওঁলোকে পৰিশোধ কৰিব পৰা নাই। তেতিয়া আকৌ এই ধাৰৰ কাৰণেও এটি পৰিশোধ বিৰতিৰ অনুমতি দিয়া হ'ল।

ইংলেণ্ডৰ বহুতো টকা অলপ কালৰ মিয়াদত জাৰ্মাণীক ধাৰে দিয়া হৈছিল। সেই টকা তাতেই আটক হৈ থাকিল। লণ্ডনৰ বেঙ্কৰ মালিকসকল বৰ অসুবিধাত পৰিল। তেওঁলোকৰ দেনাও আছিল, সেই দেনা তেওঁলোকে পৰিশোধ কৰিব লাগিব। জাৰ্মাণীৰপৰা তেওঁলোকৰ পাবলগীয়া টকা পাব বুলিয়েই তেওঁলোকে আশা কৰিছিল। তেতিয়া ফ্ৰান্স আৰু আমেৰিকাই তেওঁলোকক সহায় কৰিবলৈ আহিল। ১৩ কোটি পাউণ্ড ধাৰ দিলে। কিন্তু যেতিয়া সেই সহায় পোৱা হ'ল তেতিয়া যি ক্ষতি হবলগীয়া আছিল সকলোখিনি হৈয়েই গ'ল। ইংলেণ্ডৰ মহাজন সকলৰ ভিতৰত বৰ ভয় হৈছিল। সকলোৱে এতিয়া নিজৰ টকা তুলি নিবলৈ বিচাৰে। ১৩ কোটি পাউণ্ড চাওঁতে চাওঁতেই নাইকিয়া হ'ল। মনত ৰাখিবা পাউণ্ডে তেতিয়া 'স্বৰ্ণমান'ক ৰক্ষা কৰি আছে। এতেকে তাৰ সলনি সোণ বিচাৰিব পাৰে।

বৃটিছ চৰকাৰ তেতিয়া শ্ৰমিক দলৰ হাতত। তেওঁলোকে আৰু টকা ধাৰ কৰি-বলৈ বিচাৰিলে। বিপদত পৰি নিউইয়ৰ্ক আৰু পেৰিচৰ বেঙ্কৰ মালিক সকলৰ ওচৰত প্ৰাৰ্থনা জনালে। এওঁলোকে সহায় কৰিবলৈ সন্মত হ'ল। কিন্তু কেইটা-মান চৰ্ত্ত দিলে। তাৰ ভিতৰত এটি চৰ্ত্ত হল বৃটিছ চৰকাৰে শ্ৰমিকৰ সম্পৰ্কত কৰা ব্যয়, সমাজ সেৱা আদিৰ ব্যয় সংকোচ কৰিব লাগিব। বোলকৰো কৰ্মচাৰী

সকলৰ দৰ্মহা কমোৱাৰ কথাও এওঁলোকে কৈছিল। এইটো বৃটেনৰ ভিতৰুৱা কথাত বিদেশী বেঙ্কৰ মালিক সকলৰ হস্তক্ষেপ। এই কাৰ্যতো লৈ শ্ৰমিক মন্ত্ৰী-সভাক সমালোচনা কৰিব ধৰিলে। সেই মন্ত্ৰীসকলৰ নেতা আৰু প্ৰধান মন্ত্ৰী তেতিয়া ৰামজে মেকডোনেল্ড। তেওঁ মন্ত্ৰীসভা আৰু নিজৰ দল দুয়োটাকে আঁতৰাই, প্ৰধান হৈ ৰক্ষণশীল দলৰ সহায়তেই এখন নতুন মন্ত্ৰীসভা গঠন কৰিলে। ইয়াৰ নাম দিয়া হ'ল 'জাতীয় চৰকাৰ' সংকটতপৰা দেশক উদ্ধাৰ কৰিবলৈকে ইয়াৰ সৃষ্টি। য়ুৰোপৰ শ্ৰমিক আন্দোলনৰ ইতিহাসত বিপদৰ সন্মুখত দলক এৰি পলোৱাৰ যি কেইটা বিখ্যাত উদাহৰণ আছে ৰামজে মেকডোনেল্ডৰ এই কামটো অন্যতম।

পাউণ্ডক বচাবৰ কাৰণেই জাতীয় চৰকাৰ সৃষ্টি কৰা হৈছিল। ফ্ৰান্স আৰু আমেৰিকাৰ কৰৰপৰা তেওঁলোকে প্ৰতিশ্ৰুত ঋণৰ টকা পালে, কিন্তু সেই টকাৰেও পাউণ্ডক বচাব নোৱাৰিলে। বাধ্য হৈ ১৯৩১ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখে তেওঁ-লোকে 'স্বৰ্ণমান' এৰি দিলে, পাউণ্ড আকৌ অনিশ্চিত মুদ্ৰাত পৰিণত হ'ল। পাউণ্ডৰ মূল্য যোগাৰ কমিবলৈ ধৰিলে, কমি কমি শেষত সোণৰ দৰত ১৪ চিলিঙৰ ওচৰা-উচৰি পালেগৈ। তাৰ মানে আগতে তাৰ যি দাম আছিল এতিয়া তাৰ দাম হ'ল তাৰ দুই তৃতীয়াংশৰ সমান।

এই ঘটনা দেখি পৃথিৱীৰ মানুহ বিস্ময়ত স্তম্ভিত হৈ গল। এই তাৰিখটো তেওঁলোকে মনত ৰাখিলে। সকলোৱেই ইয়াক ধৰি ললে বৃটিছ সাম্ৰাজ্যৰ আসন্ন মৃত্যুৰ সূচনা বুলি। কাৰণ ইয়াৰ অৰ্থই হৈছে, পৃথিৱীৰ টকাৰ বজাৰত লণ্ডনৰ যি প্ৰভুত্ব আছিল, সেইটো শেষ হৈ গল। কিন্তু আচলতে দেখা গল এওঁলোকৰ ভৱিষ্যত বাণী বা আশা (তাৰ কাৰণ য়ুৰোপত বা আমেৰিকাত বৃটিছ সাম্ৰাজ্যৰ মঙ্গল কামনা কোনেও নকৰে এচিয়াইতো নকৰেই) ঠিক নফলিয়ালে।

ষ্টাৰ্লিঙৰ কাগজৰ মুদ্ৰাকে যিকোনো সময়তে ওলাই সোণ কৰি লোৱা যাব পাৰে বুলি বহুত দেশে সোণ বুলি ভাবিয়েই এই কাগজৰ মুদ্ৰা সঞ্চয় কৰি ৰাখিছিল। পাউণ্ডৰ এই মূল্য নাসৰ ফলত তেওঁলোকৰ মুদ্ৰা ব্যৱস্থাত ভাঙোনে ধৰিলে। এতিয়া ষ্টাৰ্লিং সলনি কৰি সোণ পোৱা নেযায়। ষ্টাৰ্লিঙৰ মূল্য শতকৰা ৩০ ভাগ কমি গৈছে। এতেকে এইবোৰ দেশৰো টকাৰ দাম কমি গল। ইংলেণ্ডৰ লগতে এওঁলোকে 'স্বৰ্ণমান' এৰিব লগীয়া হ'ল।

১৯৩১ চনৰ শেষৰ ফালে ইংলেণ্ডত পাৰ্লিয়ামেণ্টৰ এটা সাধাৰণ নিৰ্বাচন হ'ল। এই নিৰ্বাচনত জাতীয় চৰকাৰে এটা ৰৰ ডাঙৰ জয়লাভ কৰিলে। জাতীয় চৰকাৰ মানেই ৰক্ষণশীল দল। শ্ৰমিক দল ইয়াত তিষ্ঠিবই নোৱাৰিলে। শ্ৰমিক চৰকাৰে হয়তো তেওঁলোকৰ সকলো মূলধন বাজেয়াপ্ত কৰি লব, এইবোৰ গল্প শুনি বৃটেনৰ ধনীলোক সকলে বৰ ভয় খাইছিল, আটলাণ্টিক নৌ-ঘাটিত নাৱিকসকলে কেইদিনমান বিদ্ৰোহ কৰিছিল, তাক দেখিও এওঁলোকৰ জীৱ উৰি গ'ল,—দলে দলে আহি ৰক্ষণশীল জাতীয় চৰকাৰৰ লগত যোগ দিলেহি।

পাউণ্ডৰ মূল্য কমাৰ পিছুত বিষম সংকট আৰু বিপদে দেখা দিলে। কিন্তু

কেতিয়াও আমেৰিকা, বৃটেন আৰু ফ্ৰান্স এই তিনিখন দেশৰ অৰ্থাৎ এওঁলোকৰ বেঙ্কৰ মালিকসকলে, পৰস্পৰৰ ভিতৰত মিলাপ্ৰীতিৰে চলিব নোৱাৰিলে।

প্ৰত্যেকেই আনৰ ওপৰত দোষ দিবলৈ ধৰিলে, প্ৰত্যেকেই আনৰ মূৰত কঠাল ভাঙি নিজৰ অৱস্থা ভাল কৰিবলৈ চেষ্টা কৰিলে। টকাৰ বজাৰত মৰা মৰি কাটা-কটি নকৰি তেওঁলোকে তেতিয়া এক হৈ চলিব পাৰিলেহেঁতেন, সকলোৱে মিলি এখন আন্তৰ্জাতিক মুদ্ৰা বিনিময় বজাৰ গঢ়ি তুলিব পাৰিলেহেঁতেন, কিন্তু সেইটো নহল এওঁলোকৰ প্ৰত্যেকেই নিজৰ নিজৰ মতেৰে চলিব ধৰিলে।

বেঙ্ক অব-লণ্ডনে চেষ্টা কৰিবলৈ ধৰিলে কেনেকৈ আকৌ লণ্ডনক হেৰোৱা আসনত বহুৱাব পাৰি। এই চেষ্টা বহুখিনি ফলৱতী হৈছেও,—পাউণ্ড এতিয়া সোণৰ পৰা বিচ্যুত হৈ আছে তথাপিও। এই অদ্ভুত কাৰ্য দেখি পৃথিৱী জুৰি সকলোৱে আচৰিত হৈছে।

ইংলেণ্ডে যেতিয়া স্বৰ্ণমান এৰি দিলে তেতিয়া আন আন দেশৰ চৰকাৰী বেঙ্ক-বোৰেও (এই বেঙ্কবোৰক কেন্দ্ৰীয় বেঙ্ক বোলা হয়) সোণ পাব বুলি যিমান ষ্টাৰ্লিংৰ মূল্যৰ হুণ্ডী তেওঁলোকে হাতত ৰাখিছিল, কাৰণ এই হুণ্ডীৰ সলনি যিকোনো সময়তেই সোণ পোৱা গৈছিল, এতেকে এইবোৰক সোণৰ সমান বুলি গণ্য কৰা হৈছিল। এতিয়া হঠাৎ এই হুণ্ডী বৰ বেছি পৰিমাণে বিক্ৰী হ'বলৈ ধৰিলে, চাওঁতে চাওঁতে পাউণ্ডৰ দাম শতকৰা ত্ৰিশ ভাগ কমি গল। পাউণ্ডৰ মূল্য এইদৰে কমি যোৱাৰ ফলত, যি ধৰুৱাৰ (তেওঁবিলাকৰ ভিতৰত কেইখনমান দেশৰ চৰকাৰো আৰু বহুতো ডাঙৰ ডাঙৰ বাৰগাৰ প্ৰতিষ্ঠানো আছিল) দেনা ষ্টাৰ্লিঙৰে শোধ কৰিবলগীয়া হৈছিল, তেওঁলোকে সোণদি ধাৰ পৰিশোধ কৰিবলৈ ধৰিলে, কাৰণ এতিয়া সোণ দিলে তাৰ মূল্য ধাৰৰ শতকৰা ত্ৰিশভাগ কম দিব পাৰিব। ইয়াৰ ফলত বহু পৰিমানৰ সোণ আহি ইংলেণ্ডত জমা হ'ল।

কিন্তু সোণৰ আচল পুঁজি ইংলেণ্ডে যোগালে ভাৰতবৰ্ষ আৰু মিচৰৰ পৰা। দুখীয়া আৰু অধীনত থকা দেশ এই দুয়োখন, এওঁলোকক জোৰ কৰি ধনী দেশ ইংলেণ্ডক সহায় কৰিবলৈ বাধ্য কৰা হ'ল। ইংলেণ্ডৰ আৰ্থিক স্বচ্ছলতাক দৃঢ়তৰ কৰিবৰ কাৰণে এওঁলোকৰ লুকাই থোৱা ধন-সম্পত্তিও টানি বাহিৰ কৰি অনা হ'ল। এই বিষয়ে এওঁলোকৰ মতামতৰ কোনো মূল্যই নাছিল। ইংলেণ্ডৰ নিজৰ যেতিয়া প্ৰয়োজন এওঁলোকৰ ইচ্ছা অনিচ্ছাৰ ওপৰত কোনে নিৰ্ভৰ কৰিছে?

ভাৰতবৰ্ষত আমাৰ যি টকাৰ মুদ্ৰা আছে তাৰ জীৱন কাহিনী বৰ দীঘলীয়া। ভাৰতবৰ্ষৰ কাদৰপৰা কৰুণো। বৃটিছ চৰকাৰ আৰু বৃটিছৰ পুঁজিপতি সকলৰ স্বাৰ্থ ৰক্ষাৰ্থে ইয়াৰ দাম সঘনে সলনি কৰা হৈছে। মুদ্ৰানীতিৰ এইবোৰ কথা লৈ ইয়াত বহু আলোচনা নকৰো। এটা মাথোন কথা জনাব কম। মুদ্ৰানীতিৰ কথাত যুদ্ধোত্তৰ কালত ভাৰতবৰ্ষত বৃটিছ চৰকাৰে যিবোৰ কাণ্ড কৰিছিল, তাৰ ফলত ভাৰতবৰ্ষই বহুতো টকা লোকচান ভৰিব লগীয়া হৈছিল। তাৰ পিছত ১৯২৭ চনত ভাৰতবৰ্ষত এটা বৰ মতভেদৰ সৃষ্টি হ'ল। পাউণ্ড আৰু সোণ মধ্যত (পাউণ্ড তেতিয়া স্বৰ্ণমানৰ ওপৰত প্ৰতিষ্ঠিত) টকাৰ মূল্য কিমান বুলি ধাৰ্য কৰা হ'ব তাকে লৈ চৰকাৰে টকাৰ মূল্য বাঢ়ি দিবলৈ বিচাৰিছিলে, এক চিলিং এক পেনি

বুলি ভাৰতবাসী সকলে প্ৰায় একমুখে ক'লে—ইয়াৰ মূল্য এক চিলিং চাৰি পেনি কৰা হওক। টকাৰ মূল্য বঢ়াই দিলে বেঙ্কৰ মালিক আৰু ধনীসকলৰ সুবিধা হয়, বিদেশৰ বস্তুৰ আমদানিও বাঢ়ি যায় আৰু টকাৰ মূল্য কমাই দিলে ধৰুৱা সকলৰ বোজা কমে, দেশৰ নিজা শিল্প আৰু ৰপ্তানি ব্যৱসায়ৰ শ্ৰীবৃদ্ধি ঘটে। ভাৰতীয় লোকসকলে এনেদৰে মত প্ৰকাশ কৰা সত্ত্বেও অৱশ্যে চৰকাৰৰ জেদেই ৰয় গৈ, টকাৰ সোণৰ মূল্য একচিলিং ছয় পেনি বুলিয়েই স্থিৰ কৰা হ'ল। বহুতৰ মতে ইয়াত অলপ মুদ্ৰা সংকোচন কৰা হ'ল, টকাৰ দাম বঢ়াই দিয়া হ'ল। পৃথিৱীৰ মাজত একমাত্ৰ ইংলেণ্ডেই মুদ্ৰা সংকোচনৰ নীতি অৱলম্বন কৰিছিল, ১৯২৫ চনত যেতিয়া ই পাউণ্ডৰ 'স্বৰ্ণমান' ঘূৰাই আনিলে তেতিয়া। আমি দেখি আহিছো, সেইটো কৰিছিল পৃথিৱীৰ টকাৰ বজাৰত নিজৰ নেতৃত্ব অক্ষুণ্ণ ৰাখিবৰ কাৰণে। তাৰ কাৰণে বহুতো ক্ষতি সহ্য কৰিবলৈ ইংলেণ্ড ৰাজী আছিল। ফ্ৰান্স জাৰ্মাণী আৰু আন আন দেশবোৰে কিন্তু মুদ্ৰাস্ফীতি ঘটোৱাটোকে উচিত বিবেচনা কৰিছিল। কাৰণ তাৰ ফলতেই তেওঁলোকৰ আৰ্থিক স্বচ্ছলতা আহিব।

টকাৰ দাম এনেদৰে বঢ়াই দিয়াৰ ফলত ভাৰতবৰ্ষত বৃটেনৰ যিমান মূলধন আছিল তাৰো মূল্য বাঢ়ি ভাৰতীয় বস্তুৰ দাম অলপমান বাঢ়ি গল। এতেকে ভাৰতীয় শিল্পৰ ইয়াত অসুবিধা বাঢ়িল। সকলোতকৈ ডাঙৰ কথা হ'ল, যিমান কৃষকে আৰু মাটিৰ মালিকে টকা ধাৰ কৰিছিল, তেওঁলোকৰ সকলোৰে ঋণৰ বোজা বাঢ়িল। টকাৰ মূল্য ষোল পোনৰপৰা বাঢ়ি গৈছিল ওঠৰ পেনি, অৰ্থাৎ দুই পেনি বেছি। তাৰ অৰ্থ হৈছে শতকৰা ১২ ভাগ মূল্য বৃদ্ধি। ভাৰতৰ কৃষকসকলৰ মুঠ ঋণৰ পৰিমাণ যদি ১০০০ কোটি টকা বুলি ধৰা, তেন্তে তাৰ ওপৰত শতকৰা আৰু ১২½ ভাগ ব্যয়ৰ অৰ্থ হৈছে, এওঁলোকৰ ধাৰ আৰু ১২৫ কোটি টকা বাঢ়ি যোৱা। সেইটো উৰাই দিয়া কথা নহয়।

টকাৰ অঙ্কত অৱশ্যে ধাৰৰ পৰিমাণৰ সিমানেই থাকিল। কিন্তু কৃষিজাত বস্তুৰ মূল্যৰ হিচাবত তাৰ পৰিমাণ বাঢ়ি গল। টকাৰ প্ৰকৃত মূল্য হৈছে সেই টকাৰে যি কিনা যায় সি কিমানখিনি—গম আৰু কাপোৰ-কানি বা আন কিবা বস্তু বা পণ্য। টকাৰ কিনা শক্তি ক্ৰমে কমি গলে, তাৰ ফলত মুদ্ৰাৰ মূল্যও কমি যাব। টকাৰ এটি উচচ মূল্য বান্ধি দিয়াৰ মানে হৈছে ইয়াক এনে এটি কৃত্ৰিম কিনা শক্তি দি দিয়া। এতেকে কৃষকবোৰৰ আয়ৰ এটি বিৰাট অংশ এতিয়া যায় দেনা আৰু সুদ পৰিশোধ কৰোতে। হাতত বাকী থাকিল আগতকৈ কম। এনেদৰে টকাৰ ১'৬ মূল্যই ভাৰতবৰ্ষত আৰ্থিক সংকটৰ তীব্ৰতা বঢ়াই তুলিলে।

১৯৩১ চনৰ চেপ্টেম্বৰ মাহত যেতিয়া পাউণ্ড, ষ্টাৰ্লিঙক সোণৰপৰা বিচ্যুত কৰা হ'ল, তাৰ লগে লগেই টকাও সোণৰপৰা বিচ্যুত হ'ল। ১'৬ মূল্য তেতিয়াও তিষ্ঠি থাকিল। কিন্তু তেতিয়া তাৰ প্ৰকৃত অৰ্থ হ'ল আগতকৈ কিছু কম পৰিমাণৰ সোণ। টকাক ষ্টাৰ্লিঙৰ লগতে সাঙুৰি ৰখা হ'ল, যাতে ভাৰতবৰ্ষত থকা বৃটিছ মূলধনৰ কোনো হানি নহয়, কাৰণ টকাক যদি তেতিয়া ইচ্ছামতে চলিবলৈ দিয়া হয় হয়তো তাৰ মূল্য আৰু কমি যাব, ষ্টাৰ্লিং, মূল ধনৰ লোকচান হ'ব। আচলতে

তাৰ বাবে লোকচান কেৱল আমেৰিকা, জাপান প্ৰভৃতি যিবোৰ অ-বৃটিছ বিদেশী লোকৰ মূলধন ভাৰতবৰ্ষত খটোৱা হৈছিল—সেইবোৰৰ। কাৰণ সেই মুদ্ৰাৰ স্বৰ্ণ মূল্য কমি গল। টকাক পাউণ্ডৰ লগত সাঙুৰি ৰাখি বৃটেনৰ আৰু এটা বৰ ডাঙৰ লাভ হ'ল, ইয়াৰ ফলত বৃটেনৰ শিল্পবোৰৰ কাৰণে যিমান কেঁচামাল এই দেশৰ পৰা কিনিছিল সেই দাম তেওঁলোকে বৃটিছ মুদ্ৰাৰেই পৰিশোধ কৰিব পাৰিলে। যিমান ডাঙৰ এলেকা জুৰি ষ্টাৰ্লিং চলি থাকিব পাউণ্ডৰ ব্যৱহাৰৰ কাৰণে সিমানেই সুবিধা হ'ব। পাউণ্ডৰ লগে লগে টকাৰ দৰ কমি গল। তাৰ ফলত দেশৰ ভিতৰত সোণৰ দামো স্বভাৱতে বাঢ়ি গল, অৰ্থাৎ সোণ বেচি আগতকৈ বেছি টকা পোৱা হ'ল। দেশত তেতিয়া বৰ অভাৱ, এতেকে জনসাধাৰণৰ হাতত অৰ্থাৎ টকা বুলি যাৰ যি সোণ আছিল, সকলোখিনি তেওঁলোকে বেচি পেলালে। সোণৰ সলনি তেওঁলোকে বেছি টকা পাব, সেই টকাৰে দেনা পৰিশোধ কৰিব পাৰিব। এতেকে দেশৰ সকলো ফালৰ পৰা কম কম পৰিমাণে সোণ আহি বেঙ্কসমূহৰ হাতত জমা হ'বলৈ ধৰিলে। বেঙ্কবোৰে সেই সোণ লণ্ডনৰ বেঙ্কবোৰত বিক্ৰি কৰি দুই চাৰি পইচাৰ লাভ কৰি ললে। এনেদৰে ভাৰতবৰ্ষৰ পৰা সোণ ইংলেণ্ডলৈ বাহিৰ হৈ যাবলৈ ধৰিলে। এই কথা আজিও চলি আছে। বেঙ্ক-অৱ-ইংলেণ্ডৰ আৰু ফ্ৰান্সৰ পৰা যি টকা ইংলেণ্ডে ধাৰ কৰিছিল, এই সোণৰ পৰাই সেই ধাৰ পৰিশোধ কৰা হৈছে।

এইটো কিন্তু আচৰিত কথা, পৃথিৱীৰ প্ৰত্যেকখন দেশেই আনকি সকলোতকৈ ধনী দেশবোৰে এতিয়া নিজৰ হাতত যি সোণ আছে তাক আটক কৰি ৰাখিবলৈ প্ৰাণপণে চেষ্টা কৰিছে, তাৰ পৰিমাণ আৰু বঢ়াই লবলৈ বিচাৰিছে, অথচ ভাৰতবৰ্ষই কৰিছে তাৰ ঠিক ওলোটাটো। আমেৰিকা আৰু ফৰাচী চৰকাৰে তেওঁলোকে সিন্দুকত প্ৰচুৰ পৰিমাণৰ সোণ থুপাই জমা কৰি ৰাখিছে। খনিৰ পৰা সোণৰ মাটি খান্দি বাহিৰ কৰি অনা, আৰু তাৰ পিচত আকৌ মাটিৰ তলতেই বেঙ্কৰ গুদামত তাক বৰ গভীৰ কৰি পুতি ৰখা,—এই এক আচৰিত খেলা এওঁলোকে খেলিছে। বহুত দেশেতো বৃটিছ ডমিনিয়নবিলাকে, তাৰ ভিতৰত সোণৰ ওপৰত, বিদেশ যাত্ৰা নিষেধ কৰি আদেশ জাৰি কৰিছে। অৰ্থাৎ দেশৰ পৰা কাকো সোণ বাহিৰলৈ নিবলৈ দিয়া নাই। ইংলেণ্ডে তেওঁলোকৰ খেল ৰাখিবৰ কাৰণেই খেলৰ মূল্য, এৰি দিছে। কিন্তু ভাৰতবৰ্ষত তাৰ একোৱেই হোৱা নাই। কাৰণ ভাৰতবৰ্ষৰ আৰ্থিক নীতি চলিছে, ইংলেণ্ডৰ প্ৰয়োজন অনুসাৰে।

ভাৰতবৰ্ষৰ লোকসকলে সোণ আৰু ৰূপ জমাই ৰাখে এই অভিযোগ প্ৰায়েই শুনা যায়। এই দেশত যি দুই চাৰিজন ডাঙৰ মানুহ আছে, তেওঁলোকৰ সম্বন্ধে কথাটো কিছু পৰিমাণে সত্যও। কিন্তু এই দেশৰ সাধাৰণ প্ৰজা ইমান বেছি দুখীয়া যে তেওঁলোকৰ পক্ষে একো জমাই ৰখা সম্ভৱপৰ নহয়। যি সকল অলপ অৱস্থাপন্ন খেতিয়ক তেওঁলোকৰ সামান্য দুই চাৰিপদ গহনা থাকে, সেয়ে—তেওঁলোকৰ সঞ্চয়। বেঙ্কত টকা ৰখাৰ কোনো সুবিধা—তেওঁলোকৰ নাই। সংকটৰ ফলত আৰু সোণৰ দাম বঢ়াৰ ফলত, এওঁলোকৰ এই খুচুৰা গহনা-পাতি আৰু ভাৰতবৰ্ষত যিখিনি সোণ সঞ্চিত আছিল, গোটেইখিনি দেশৰ পৰা ওলাই গৈছে। দেশত যদি আমাৰ জাতীয় চৰকাৰ থাকিলহেঁতেন, তেন্তে দেশৰ এই সোণখিনি জনসাধাৰণৰ সম্বল বুলি দেশতে আটক কৰি ৰাখিলেহেঁতেন। কাৰণ

সোণেই হৈছে, আন্তৰ্জাতিক লেনদেনৰ একমাত্ৰ সকলোৰে স্বীকৃতি দিয়া মাধ্যম।

পাউণ্ড আৰু ডলাৰৰ মাজত চলা যুঁজৰ কথা তোমাক কৈছিলো। এইবোৰ কাৰ্যক্ৰম আৰু নানা কলা কৌশল কৰি (ইয়াত তাৰ বিস্তৃত বিৱৰণ দিয়াৰ আৱশ্যক নকৰে) বেঙ্ক-অব-ইংলেণ্ডে ইয়াৰ আসন অতি দৃঢ় কৰি ললে। ১৯৩২ চনত টকাৰ কপাল সম্পূৰ্ণ খুলি গল। জাৰ্মাণীত আমেৰিকাৰ বহু টকা জমা হৈ থকাৰ ফলত যুক্তৰাষ্ট্ৰত এটা বেঙ্ক সংকটে দেখা দিলে। এই সংকটৰ সময়ত আমেৰিকাৰ বহুতো মানুহে ডলাৰ বিক্ৰী কৰি বহুতো ষ্টাৰ্লিং কিনিলে। এতেকে বৃটিছ চৰকাৰে ডলাৰৰ অঙ্কত লিখা বহুত হুণ্ডী হাতত পাই গল। তাৰ পিছত নিউ-ইয়ৰ্কৰ চৰকাৰী বেঙ্কত সেইবোৰ দাখিল কৰি দি তাৰ সলনি—সোণ বাহিৰ কৰি ললে। ডলাৰে তেতিয়াও 'স্বৰ্ণমান' বজায় ৰাখিছে, যি কোনো মানুহে ডলাৰৰ পৰিবৰ্ত্তে সোণ লব পাৰিব। এইদৰে বৃটেনৰ আকৌ সোণৰ ভাণ্ডাৰ বাঢ়ি উঠিল, কোনো বাধা-বিঘিনি নহল, পাউণ্ডৰ দামো আৰু নকমিল। পাউণ্ড তেতিয়া স্বৰ্ণমানৰপৰা ছুটকি পৰিছে, ইয়াৰ মূল্য তেতিয়াও অনিয়ন্ত্ৰিত। লণ্ডন চহৰত তেতিয়াও বিদেশী হুণ্ডী আৰু চিকিউৰিটি বহুত জমা হৈ গৈছে, আকৌ ই—আন্তৰ্জাতিক মুদ্ৰা বিনিময়ৰ প্ৰধান কেন্দ্ৰীয় বজাৰ হৈ উঠিল। নিউইয়ৰ্ক তেতিয়াৰ কাৰণে হাৰি গল। এই পৰাজয়ৰ এটা ডাঙৰ কাৰণ আছিল, ইয়াৰ বৰ ডাঙৰ বেঙ্ক সংকট। সেই সংকটত হাজাৰ হাজাৰ সৰু সৰু বেঙ্ক একেবাৰে নষ্ট হৈ গল, তাৰ ফল তোমাক আগৰ এখন চিঠিত কৈছোঁ।

১৮৮

পুঁজিপতি দেশবোৰৰ অনৈক্য

২৮ জুলাই, ১৯৩৩

মহাজনসকলৰ ব্যৱসায় লৈ কি অৰিয়া-অৰি আৰু কূটকৌশল তাক তোমাক শুনালোঁ, শুনি নিশ্চয় তুমি সুখী হোৱা নাই। আন্তৰ্জাতিক কূটচক্ৰৰ ই এখন জটিল জাল। সেই জালৰ মৰ্মভেদ কৰা বা ইয়াৰ পাকত এবাৰ পৰিলে, তাৰ পৰা সহজে ওলাই অহা বৰ সহজ কথা নহয়। মই কেৱল বাহিৰৰ পৰা ইয়াক যি দেখিবলৈ পাইছোঁ তাৰেহে অলপ আভাস দিবলৈ চেষ্টা কৰিছোঁ, আচলতে— যিমান ঘটনা ঘটে তাৰ বহুখিনি বাহিৰত প্ৰকাশ নহয়, মানুহৰ চকুত নপৰে।

আধুনিক জগতত বেংকৰ মালিক আৰু মহাজনসকলৰ ক্ষমতা অপৰিসীম। শিল্পৰ সম্ৰাটসকলৰ যুগো পাৰ হৈ গৈছে। ডাঙৰ ডাঙৰ বেংক মালিকসকলেই এতিয়া শিল্প, কৃষি, ৰেলৱে, যানবাহন এক কথাত কব লাগিলে সকলোতেই অলপ নিয়ন্ত্ৰণ কৰিছে, দেশৰ শাসন ব্যৱস্থাকো। তাৰ কাৰণ শিল্প আৰু বাণিজ্যৰ যিমান উন্নতি হৈছে, সিমানেই তেওঁলোকৰ বেছি টকাৰ আৱশ্যক হৈছে। সেই টকা তেওঁলোকক যোগাইছে বেংকবোৰে। পৃথিৱীৰ কাম-কাজৰ বহুখিনিয়েই এতিয়া চলিছে, ধাৰৰ ওপৰত, সেই ঋণ বঢ়াই কমাই বা নিয়ন্ত্ৰণ কৰে ডাঙৰ ডাঙৰ বেংক-বোৰেই। শিল্পপতি আৰু কৃষক দুয়ো কাম চলাবৰ কাৰণে ধাৰৰ আৱশ্যক, সেই ধাৰৰ কাৰণে তেওঁলোক বেংকৰ ওচৰলৈ যাবলগীয়া হয়। টকা ধাৰ দিয়া ব্যৱসায়টো বেংকৰ কাৰণে বে অকল লাভজনক ব্যৱসায় সেইবোৰেই নহয়, শিল্প আৰু কৃষিৰ ওপৰত ইয়াৰ কাৰণেই তেওঁলোকৰ প্ৰভুত্ব দিনে দিনে বাঢ়ি গৈছে। সংকটৰ মুহূৰ্ত্তত টকা দিবলৈ অস্বীকাৰ কৰি বা টকা ঘূৰাই বিচাৰি এওঁলোকে ধকস্বাৰ ব্যৱসায়ক নষ্ট কৰি দিব পাৰে বা তেওঁলোকক যিকোনো ৰকমৰ চৰ্ত্ত মানি লবলৈ বাধ্য কৰিব পাৰে। দেশৰ ভিতৰত আৰু আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত, দুয়োতে এই কথা খাটে। কাৰণ ডাঙৰ ডাঙৰ কেন্দ্ৰীয় বেংকবোৰে আন আন দেশৰ চৰকাৰক টকা ধাৰে দিয়ে, আৰু সেই টকাৰ কাৰণে তেওঁলোকে সম্পূৰ্ণ হাতৰ মুঠিত ৰাখে; নিউইয়ৰ্কৰ বেংকৰ মালিকসকলে এইভাৱে মধ্য আৰু দক্ষিণ আমেৰিকাৰ বহুতো চৰকাৰক নিজৰ আদেশত চলাইছে।

এই ডাঙৰ ডাঙৰ বেংকবোৰৰ এটা আচৰিত কথা, এই সুদিনত আৰু দুৰ্দিনত দুয়োত্ৰতেই এওঁলোকৰ লাভৰ সুবিধা। সুদিনত ব্যৱসায় বাণিজ্য সকলোতেই

এটা সমৃদ্ধিয়েই দেখা দিয়ে। এওঁলোকে ইয়াৰ অংশ পায়। এওঁলোকৰ হাতলৈ হৰমূৰ কৰি টকা আহিবলৈ ধৰে, আৰু সেই টকা আকৌ এওঁলোকে বৰ লাভজনক হাৰত ধাৰে দিয়ে। দুৰ্দিনত মন্দা আৰু সংকট যেতিয়া আহে, এওঁলোকে এই টকাবোৰ টোপোলা বান্ধি বহি থাকে, বজাৰত এৰিবলৈ ইচ্ছা নকৰে, (আৰু এনে দৰে মন্দাক আৰু বঢ়াই তোলে, কাৰণ ধাৰ নাপালে বহুতো ব্যৱসায় চলোৱা টান।) কিন্তু তেতিয়াও আৰু একালৰপৰা এওঁলোকৰ লাভ হয়। মাটি, কাৰখানা আদি সকলো বস্তুৰেই দাম তেতিয়া পৰি যায়, বহুতো শিল্প প্ৰতিষ্ঠান দেউলীয়া হৈ যায়। বেঙ্কে তেতিয়া আহি এইবোৰক কম দামত কিনি লয়। এতেকে এইদৰে ব্যৱসায়ৰ বজাৰত এবাৰ সমৃদ্ধি আৰু এবাৰ মন্দাৰ চক্ৰত চলিয়েই বেঙ্কবোৰৰ কাৰণে লাভ। এইবাৰৰ এই ডাঙৰ মন্দাৰ বজাৰতো ডাঙৰ বেঙ্কবোৰে সমানেই লাভ কৰি গৈছে। অষ্ট্ৰীয়া আৰু জাৰ্মানীতো কেইটামান ডাঙৰ বেঙ্ক ফেল হৈছে। এই কথা ঠিক যে যুক্তৰাষ্ট্ৰত হাজাৰ হাজাৰ বেঙ্ক ফেল হৈ গৈছে। আমেৰিকাত যিবোৰ বেঙ্ক এনেদৰে বন্ধ হৈ গৈছে, তাৰ প্ৰায় সকলোৰেই বৰ সৰু সৰু বেঙ্ক। আমেৰিকাত বেঙ্কৰ ব্যৱসায় যি নীতিত চলে সেইটোৰেই ভুল যেন লাগে। কিন্তু তথাপি নিউইয়ৰ্কৰ ডাঙৰ বেঙ্কবোৰে বেছ ভাল লাভেই কৰি গৈছে। ইংলেণ্ডত কোনো বেঙ্ক ফেল বা বন্ধ হোৱা নাই।

এতেকে আজিৰ এই পুঁজিবাদী জগতত বেঙ্কৰ মালিকসকলেই হৈছে প্ৰধান কৰ্তা। আমাৰ এই যুগক বহুতে নাম দিছে, 'মহাজনী যুগ''। পাশ্চাত্য দেশ-সমূহত য'তে ত'তে লাখপতি, আৰু কোটিপতিসকল ভাহি উঠিছে, বিশেষকৈ আমেৰিকাত, তাৰতো নামেই হৈছে কোটিপতিৰ দেশ। মানুহৰ মুখত এওঁলোকৰ স্তুতিগীতৰো অভাৱ নাই। কিন্তু এওঁলোকৰ বহুতৰ ৰীতিনীতিবোৰ বৰ অসাধু হিচাবে চলে। সাধাৰণতে আমি যাক ডকাইতি বা জুৱাচুৰি বুলি কওঁ তাৰ লগত ইয়াৰ তফাৎ হৈছে—ই বৰ বেছি ডাঙৰ। ডাঙৰ ডাঙৰ একচেটিয়া কাৰবাৰবোৰে সৰু সৰু কাৰবাৰবোৰক ধ্বংস কৰি পেলাইছে, মহাজনসকলৰ পাকত পৰি নিৰীহ লোক বহুতো সৰ্ব্বস্বান্ত হৈ গৈছে। য়ুৰোপ আৰু আমেৰিকাৰ আটাইতকৈ ডাঙৰ কেইজনমান মহাজনৰ প্ৰকৃতিৰ স্বৰূপ প্ৰকাশ হৈ গৈছে। এইবোৰ যি অতি জঘন্য আৰু নিন্দনীয়।

টকাৰ বজাৰৰ নেতৃত্বলৈ ইংলেণ্ড আৰু আমেৰিকাৰ মাজত যুঁজ চলিছিল। সেই যুঁজত তেতিয়াৰ কাৰণে লণ্ডনৰে জয় হ'ল। কিন্তু সেই জয়ৰ ফল হ'ল কি? বাৰবছৰ ধৰি এই সংগ্ৰাম চলিছে, যি ফলৰ আশাত এই যুঁজ—সি নাহে নাহে নাইকিয়া হৈ গৈছে, আন্তৰ্জাতিক ব্যৱসায়ত ভাটা পৰিছে, সেয়ে লাভৰ আশাও লগে লগে কমি গৈছে। বিল অব একচেঞ্জ বা হুণ্ডী আৰু আগৰ দৰে বোছ নাই; ইফালে সকলো বকমৰ চিকিউৰিটিৰো দাম কমি গৈছে, অথচ তেতিয়াও ডাঙৰ ডাঙৰ চৰকাৰী আৰু বে-চৰকাৰী ধাৰৰ কাৰণে যি সুদ সকলোৱে দিব-লগীয়া হৈছিল, তাৰ পৰিমাণ একেই থাকে। এই সুদ নিয়মিতভাৱে দি যোৱা ধৰুৱা দেশবোৰৰ পক্ষে টান হৈ পৰিল। আন্তৰ্জাতিক লেনদেন পৰিশোধ কৰিব পৰা এনে কোনো বস্তুৱেই পাবলৈ টান হৈ পৰিছে, এতেকে সোণৰ চাহিদা বাঢ়ি

গৈছে। কিন্তু সোণো তেতিয়া দুখীয়া দেশবোৰৰপৰা পলাই গৈছে আৰু ধনী দেশৰ ভঁৰালত জমা হৈছেগৈ—বিশেষকৈ যিবোৰ দেশত মুদ্ৰাৰ মূল্য স্থিৰ হৈ আছে।

কিন্তু ইমান সোণ, ইমান ধন-সম্পত্তি, শিল্প ইমান আধুনিক ৰীতি-নীতিৰ সত্ত্বেও আমেৰিকাই ৰেহাই নাপালে। সুদৰ হেঁচাই ইয়াকো বিপৰ্যয়ত পেলালে। ভাগ্যলক্ষ্মীৰ দেশ আমেৰিকা, ইয়াৰ আকৰ্ষণো বৰ বেছি, সেই কাৰণেই বহুতো দূৰ দূৰণিৰপৰা বহুতো মানুহ আহি এই দেশত জমা হৈছেহি। আতো নিৰাশাই দেখা দিলে। ডাঙৰ ডাঙৰ ব্যৱসায়ীসকলে চিৰদিন দেশখন শাসন কৰি আহিছে, এতিয়া দেখা গ'ল এওঁলোকৰ কাৰ্য-কলাপ আগৰপৰা গুৰিলৈকে দুৰ্নীতিৰে ভৰা। টকাৰ বজাৰত আৰু শিল্পৰ বজাৰত যিসকল নেতৃস্থানীয় তেওঁলোকৰ ওপৰত আৰু মানুহৰ আস্থা নোহোৱা হ'ল। প্ৰেচিডেণ্ট হুভাৰে ডাঙৰ ব্যৱসায়ীসকলৰ ফালে টানি চলিছিল, এতেকে আমেৰিকাৰ জনসাধাৰণ তেওঁৰ বিৰোধী হৈ পৰিছিল। ১৯৩২ চনৰ নবেম্বৰ মাহত প্ৰেচিডেণ্টৰ নিৰ্বাচন হ'ল, হুভাৰক হৰুৱাই ফ্ৰাঙ্কলিন ৰুজভেল্ট প্ৰেচিডেণ্ট হ'ল।

১৯৩৩ চনৰ মাৰ্চ মাহৰ প্ৰথম ভাগত আমেৰিকাৰ আকৌ এটা বেঙ্ক সংকট ঘটিল। ইয়াৰ ফলত যুক্তৰাষ্ট্ৰই স্বৰ্ণমান এৰি দিবলগীয়া হ'ল, ডলাৰৰ দামো কমি গ'ল। অথচ আমেৰিকাৰ হাতত তেতিয়াও যিমান সোণ মজুত আছে, ইমান আৰু কোনো দেশত নাই। এইটো কৰাৰ উদ্দেশ্য আছিল শিল্প আৰু কৃষিৰ ওপৰত ধাৰৰ যি হেঁচা পৰিছে, তাক আকৌ লাঘৱ কৰা, ধনবোৰ অলপ বঢ়োৱাৰ চেষ্টা কৰা, বেঙ্ক আৰু ধাৰদাতাসকলৰ ইয়াত ক্ষতি হব হয় হওক। ভাৰতবৰ্ষত গোটেই ভাৰতবাসীৰ মিলিত প্ৰতিবাদ উপেক্ষা কৰি বৃটিছ চৰকাৰে যি কৰিছিল, এইটো তাৰ সম্পূৰ্ণ বিপৰীত।

এই সমস্যাৰ হেঁচাত পুঁজিবাদী দেশসমূহ একেবাৰে উৰলি যোৱাৰ উপক্ৰম হ'ল, সেয়ে সকলোৱে এক হৈ কিবা এটা কৰিব পৰা যায় নেকি তাৰ কাৰণে ১৯৩৩ চনৰ জুন মাহত এটা চেষ্টা কৰা হ'ল। লণ্ডনত 'বিশ্ব অৰ্থনৈতিক সন্মিলন' বহিল। বিভিন্ন দেশৰ প্ৰতিনিধি আহি 'সংকটত জৰ্জৰ হোৱা পৃথিবীৰ নামত বহুতো কিবা কিবি কলে', এই সন্মিলন যদি ব্যৰ্থ হয় তেন্তে গোটেই পুঁজিবাদী জগতখনেই ভাগি পৰিব। কিন্তু ইমান বিপদ আৰু সাৱধান বাণী শুনোৱা সত্ত্বেও ডাঙৰ শক্তিবোৰে নিজৰ ভিতৰত একমত হব নোৱাৰিলে। তাৰ ফলত সন্মিলন ভাঙি গ'ল, প্ৰত্যেক দেশেই নিজৰ স্বাৰ্থত অৰ্থনৈতিক জাতীয়তাবাদৰ বাট অনুসৰণ কৰি চলাৰ বাহিৰে উপায় নোহোৱা হ'ল।

ইংলণ্ডৰ কাৰণে নিজে সম্পূৰ্ণ আত্মনিৰ্ভৰশীল দেশ হৈ উঠা কঠিন কাম। তাত যিমানখিনি খাদ্য-বস্তুৰ দৰকাৰ সিমানখিনি উৎপাদন কৰিব নোৱাৰে। ইয়াৰ শিল্পবোৰৰ কাৰণে যিমান কেচামালৰ প্ৰয়োজন সেইখিনিও বিদেশৰপৰা আহে। এতেকে বৃটিছ চৰকাৰৰ এইবাৰৰ চেষ্টা হ'ল, গোটেই সাম্ৰাজ্যখনকে লৈ এটা অৰ্থনৈতিক 'স্বদেশী নীতি' গঢ়ি তুলিব। এই উদ্দেশ্যকে লৈ ১৯৩২ চনত অটোৱাত এখন 'বৃটিছ সাম্ৰাজ্য সন্মিলন' পতা হ'ল। কিন্তু তাতো বিবোধৰ সৃষ্টি হ'ল, দেখা গ'ল ইংলেণ্ডৰ লাভৰ কাৰণে কানাডা, অষ্ট্ৰেলিয়া বা দক্ষিণ আফ্ৰিকাই নিজৰ কোনো ক্ষতি স্বীকাৰ কৰিবলৈ ৰাজি নহয়। ইংলেণ্ডে এওঁলোকৰ দাবী-

সমূহ স্বীকাৰ কৰি লবলগীয়া হ'ল। ভাৰতবৰ্ষই অৱশ্যে চৰকাৰৰ হেচাত পৰি স্বীকাৰ কৰিবলৈ বাধ্য হ'ল। আমদানি শুল্কৰ কালত আন দেশৰ মালৰ তুলনাত ভাৰতে বৃটিছ বস্তুক বেছি প্ৰাধান্য দিব। অৱশ্যে দেশৰ মানুহে এই কালত আপত্তি তুলিছিল। এই চুক্তি বিশেষ কাৰ্যকৰী নহ'ল।

ইয়াৰ মাজতে আকৌ বৃটিছ সাম্ৰাজ্যৰ শিল্প প্ৰচেষ্টা আৰু বাণিজ্যৰ ক্ষেত্ৰত নতুন এক বিভীষিকাৰ আবিৰ্ভাৱ হ'ল। সস্তীয়া জাপানী বস্তুৰে গোটেই বজাৰ ভৰি পৰিল, সেই বস্তু ইমান বেছি সস্তা যে আমদানি শুল্কৰ দেৱাল বাদ্ধিও তাক বাধা দিব নোৱাৰি। এই বস্তু সস্তা হোৱাৰ কাৰণ বহুত আছিল। ইয়েনৰ মূল্য বৰ কমি গৈছে, জাপানত শিল্পৰ কাৰখানাবোৰত যি তিৰোতা শ্ৰমিকসকলে কাম কৰিছে তেওঁলোকৰ দৰমহা বৰ কম। তাৰ উপৰিও জাপানৰ চৰকাৰে, জাপানী শিল্পবোৰক আৰ্থিক সহায় কৰিছে। জাপানী জাহাজ কোম্পানীবোৰে অতি অলপীয়া ভাৰাতে জাপানৰ বস্তু বাহিৰলৈ নিয়াৰ ব্যৱস্থা কৰিছে। শিল্প ব্যৱসায়ত জাপানী সকলৰ দক্ষতাও বৰ বাঢ়ি গৈছে, বৃটেনৰ পুৰণি শিল্প কাৰখানা বোৰে এইবোৰৰ লগত ফেৰ মাৰিব নোৱাৰা হৈছে।

আমদানি শুল্ক বঢ়ৱাই জাপানী বস্তুক বাধা দিব পৰা নগ'ল। এতেকে দেশৰ বজাৰত সেই বস্তুৰ প্ৰৱেশ একেবাৰে নিষিদ্ধ কৰা হ'ল। কোনো কোনো ঠাইত ইয়াৰ আমদানি পৰিমাণ নিৰ্দিষ্ট কৰি দিয়া হ'ল। মাথোন সেই নিৰ্দিষ্ট পৰিমাণৰ বস্তুৱেই বজাৰলৈ আহিবলৈ দিয়া হ'ব। কিন্তু আন আন বজাৰবপৰা জাপানী বস্তুক এইদৰে বাহিৰত বাধা দি ৰখা হয় তেন্তে জাপানত এইবোৰ শিল্পৰ গতি কি হ'ব? ইয়াৰ ফলত জাপানত সম্পূৰ্ণ অৰ্থনৈতিক ব্যৱস্থাটোৱেই ওলট-পালট হৈ যোৱাৰ সম্ভাৱনা।

ঠিক তেনেদৰেই আকৌ য়ুৰোপৰ আন আন দেশত যিবোৰ বস্তু উৎপন্ন হৈছে, তাক যদি বৃটেনৰ বজাৰত সোমাবলৈ দিয়া নহয়—তেন্তে এই দেশবোৰৰ বহুতৰে সৰ্বনাশ ঘটিব। এতেকে মিত্ৰৰ স্বাৰ্থৰ কাৰণে এখন দেশে কি ধৰণে কাৰ্য কৰিব পাৰে তাক তুমি দেখিলা। ইয়াৰ প্ৰত্যেক কাৰ্যৰ ফলত আন দেশৰ ওপৰত আৰু আন্তৰ্জাতিক বাণিজ্যৰ ওপৰত আঘাত পৰে, তাৰ ফলত হয় দেশে দেশে সংঘাত আৰু সংগ্ৰাম।

১৮৯
স্পেইনত বিপ্লৱ

২৯ জুলাই, ১৯৩৩

এইবাৰ তোমাক বৰ্ত্তমান জগতৰ দুটা ডাঙৰ ঘটনাৰ কথা কম। ইয়াৰ এটা হৈছে স্পেইনৰ বিপ্লৱ, আনটো জাৰ্মাণীত নাজীসকলৰ জয়যাত্ৰা।

স্পেইন আৰু পৰ্তুগাল, য়ুৰোপৰ দক্ষিণ পশ্চিম অঞ্চলত অৱস্থিত। য়ুৰোপ আৰু পৃথিৱীৰ ইতিহাসত এই দুখন দেশে এদিন বৰ ডাঙৰ ভূমিকা লৈছিল। সেই কাহিনী তোমাক কৈছোঁ। সাম্ৰাজ্য প্ৰতিষ্ঠাৰ অভিযান চলাই চলাই এওঁলোকে গোটেই শক্তি সামৰ্থ নিঃশেষ কৰি পেলালে। পশ্চিমে য়ুৰোপৰ আন আন দেশ যেতিয়া শিল্প আৰু জ্ঞান আন বিষয়ত ক্ৰমে আগবাঢ়ি গ'ল, এইবোৰ বহুত পিছত পৰি থাকিল। তাত তেতিয়া যাজক সকলৰ বৰ প্ৰতাপ। জাতীয়তাবাদী স্পেইনৰ সৌন্দৰ্যৰ কাষত নেপোলিয়নেও হাৰ মানিবলগীয়া হৈছিল, কিন্তু ফৰাচী বিপ্লৱৰ ফলত যিবোৰ নতুন ভাৱধাৰা পৃথিৱীত বিয়পি পৰিল স্পেইনে তাক আয়ত্ত কৰি লব নোৱাৰিলে। ফ্ৰান্সে শাসন প্ৰথা তুলি দিলে, মাটিৰ ব্যৱস্থা সম্পূৰ্ণ সলনি কৰি পেলালে, কিন্তু স্পেইনে তেতিয়াও আধা শাসন নীতিকেই আকোঁৱালি থাকিল। স্পেইনত তেতিয়া ৰোমানকেথলিক থকাৰ প্ৰাধান্য কেৱল ধৰ্মতে নহয়—মাটি, বাণিজ্য, শিক্ষা সকলো বিষয়তে ৰোমান কেথলিক ধৰ্ম যাজকসকলে প্ৰভুত্ব কৰিছে। ধৰ্ম প্ৰতিষ্ঠানবোৰেই স্পেইনৰ আটাইতকৈ ডাঙৰ মাটিৰ মালিক, বহু বেছি পৰিমাণৰ বেপাৰ বাণিজ্যও তেওঁলোকৰ হাতত। শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে তেওঁলোকে নিয়ন্ত্ৰণ কৰিছিল।

সৈন্যবাহিনীৰ উচ্চ পদস্থ কৰ্মচাৰী কিমান, তেওঁলোক আছিল এটি বেলেগ জাতিৰ দৰে—তেওঁলোকৰ বহুতো বিশেষ ধৰণৰ অধিকাৰ আছিল। আন আন ৰাজ্যত সৈন্যৰ অনুপাতে এওঁলোকৰ সংখ্যাত আছিল বহুত বাহিনীৰ প্ৰত্যেক সাত-জনৰ ভিতৰত এজন হৈছে উচ্চ পদস্থ কৰ্মচাৰী। বুদ্ধিজীৱী সকলৰ ভিতৰত প্ৰগতিশীল, উদাৰ মতাৱলম্বী মানুহো অৱশ্যে আছিল। শ্ৰমিক আন্দোলনো অলপ অলপ গঢ়ি উঠিছিল। তাৰ ভিতৰতে আকৌ চিণ্ডিকেলিষ্ট, চচিয়েলিষ্ট, এনাৰ-কিষ্ট, আদি নানা ভাগ আছিল। কিন্তু প্ৰকৃত ক্ষমতা সকলোখিনি আছিল ধৰ্মযাজকসকলৰ, সৈন্যসকল আৰু আভিজাত্য সম্প্ৰদায়ৰ হাতত। উত্তৰ অঞ্চলত কেটালোনিয়া আৰু বাস্ক প্ৰদেশত জোৰেৰে আন্দোলন চলিছিল। তাৰ লক্ষ্যত আছিল স্বায়ত্ত-শাসন প্ৰতিষ্ঠা।

স্পেইন আৰু পৰ্তুগাল দুয়ো দেশৰে শাসন ব্যৱস্থা আছিল কম-বেচি পৰিমাণে স্বেচ্ছাচাৰী ৰাজতন্ত্ৰ। ইয়াৰ লগত এটি অতি নিশকতীয়া পাৰ্লিয়ামেণ্ট আছিল। স্পেইনত এই সংবাদৰ নাম আছিল, 'কুৰুটেছ্'। ১৮৭০ চনৰ ঠিক পিছতে অতি অলপ দিনৰ কাৰণে স্পেইনত প্ৰজাতন্ত্ৰৰ আৱিৰ্ভাৱ হৈছিল। কিন্তু সেই প্ৰজাতন্ত্ৰ নিটিকিল। ৰজা তেওঁৰ সকলো অধিকাৰ আৰু স্বেচ্ছাচাৰী ক্ষমতা লৈ আকৌ সিংহাসনত বহিলহি। ১৮৯৮ চনত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ লগত স্পেইনৰ যুদ্ধ হ'ল। তাৰ ফলত স্পেইনৰ যি কেইটি উপনিৱেশ ইমান দিন আছিল, সেইবোৰো প্ৰায় হাতৰপৰা এৰা পৰিল, উপনিৱেশ তুলিবলৈ কেৱল বাকী ৰল দাতিকাষৰীয়া মৰক্কোৰ কিছু অংশ।

পৰ্তুগালৰ এতিয়াও আফ্ৰিকাত ডাঙৰ ডাঙৰ উপনিৱেশ আছে, ভাৰতবৰ্ষতো গোৱা আদি দুই চাৰিখন ঠাই আছে। ১৯১০ চনত পৰ্তুগালৰ ৰজাক সিংহাসনৰ পৰা নমাই প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠা কৰা হয়। তাৰ পিছৰপৰা এতিয়ালৈকে বহুতো বিদ্ৰোহ তাত হৈছে। কেতিয়াবা ৰাজতন্ত্ৰীসকলে ৰজাক আকৌ সিংহাসনত বহুৱাবলৈ চেষ্টা কৰিছে। কেতিয়াবা আকৌ বামপন্থীসকলে স্বৈৰতন্ত্ৰী শাসক আৰু প্ৰগতি বিৰোধী শাসকমণ্ডলীক ওফৰাই পেলাবলৈ বিচাৰিছে। তথাপি সকলো হাই-কাজিয়াৰ ভিতৰতো এই প্ৰজাতন্ত্ৰী ৰূপটো কোনোমতে টিকি আছে। সাধাৰণতে এটা সামৰিক দলৰ প্ৰাধান্যই ইয়াত চলিছে। মহাযুদ্ধত পৰ্তুগালে মিত্ৰপক্ষৰ লগত যোগ দিলে। যুদ্ধ যেতিয়া শেষ হ'ল, দেখা গ'ল, ই ইমান ধাৰত পোত খাই গৈছে যে দেৱলীয়া হবলৈ আৰু বেছি দিন নাই। পৰ্তুগালৰ বৰ্তমান চৰকাৰ অতি প্ৰগতি বিৰোধী আৰু ফেচিষ্টপন্থী। গোৱাত সকলো প্ৰকাৰৰ জনহিত কৰ কাৰ্যকে দমাই ৰখা হয় প্ৰজাসকলৰ নাগৰিক অধিকাৰৰ কোনো মূল মন্ত্ৰ নাই।

মহাযুদ্ধত স্পেইন নিৰপেক্ষ হৈ ৰল, ইয়াৰ যোগেদি তেওঁলোকে বেচ লাভ কৰি ললে। যুদ্ধৰত দেশবোৰৰ ওচৰত এওঁলোকে মাল-বস্তু বেছিবলৈ ধৰিলে, দেশত শিল্প প্ৰচেষ্টাৰও বহুত বাঢ়িল। যুদ্ধৰ শেষত বজাৰ ভাঙি পৰিল, নিবনুৱা সমস্যা, তাৰ ফলত সামাজিক জীৱনত বিক্ষোভ। এনে সময়তে ১৯২১ চনত মৰক্কোত ৰিফ যুদ্ধ আৰম্ভ হ'ল। এই যুদ্ধত আব্দুল কৰিমে স্পেইনৰ সৈন্য-বাহিনীক সম্পূৰ্ণৰূপে পৰাজিত কৰিলে। কিন্তু পিছত ফৰাচীসকলে আহি আব্দুল কৰিমক পৰাভূত কৰিলে আৰু তেওঁলোকৰ অনুগ্ৰহত স্পেইনৰ দ্বাৰা অধিকৃত মৰক্কো স্পেইনৰ হাততে থাকি গ'ল। এই মৰক্কো যুদ্ধৰ মাজতে হ'ল প্ৰাইমো ডি ৰিভেৰ ৰাব অভ্যুত্থান। ১৯২৩ চনত দেশৰ শাসনতন্ত্ৰক নাকচ কৰি তেওঁ স্পেই-নৰ একচ্ছত্ৰী শাসক হৈ উঠিল। ছয় বছৰ তেওঁ শাসনভাৰ চলালে, কিন্তু সৈন্য বাহিনীৰ ক্ৰমে তেওঁৰ ওপৰত আস্থা কমি আহিল। ১৯২৯ চনত আৰ্থিক সংকট হোৱাৰ ফলত তেওঁ পদত্যাগ কৰে। ৰজা আলফন্‌চো ইফালে সকলো সময়তেই সজাগ হৈ আছিল, প্ৰগতি বিৰোধী দলসমূহক উৎসাহিত কৰিছিল, নিজৰ প্ৰতিপত্তি আকৌ প্ৰতিষ্ঠিত কৰিবলৈ তেওঁ চেষ্টা কৰিলে।

স্পেইনৰ মানুহবোৰ বৰ স্বাৰ্থপৰ, এওঁলোকৰ ভিতৰত বিৰোধ প্ৰগতিবাদী

দল আছে তেওঁলোকৰ ভিতৰতো বৰ কাজিয়া-পেচাল চলি থাকে। বাকুনিনৰ সময়ৰ পৰাই এনাৰ্কিষ্ট মতবাদ নতুন শ্ৰমিকসকলৰ মনত দৃঢ়ভাৱে শিপাইছিল। এনাৰ্কিষ্ট আৰু চিণ্ডিকেলিষ্টসকলে মিলি এটা বেচ শক্তিশালী দল গঢ়ি তুলিলে। বিশেষকৈ কেটালোনিয়াত ইয়াৰ প্ৰতিপত্তি আছিল। প্ৰগতিবাদী আন আন দল যিবোৰ আছিল, সেইবোৰ হৈছে লিবাৰেল ডেমক্ৰেট দল, চছিয়েলিষ্ট দল, আৰু কমিউনিষ্ট দল। এইটো বৰ সৰু কিন্তু ইয়াৰ প্ৰতাপ দিনে দিনে বাঢ়ি আহিবলৈ ধৰিলে। এই দলবোৰ প্ৰত্যেকেই আছিল প্ৰজাতন্ত্ৰ প্ৰতিষ্ঠাৰ পক্ষপাতী। প্ৰাইম ৰিভেৰাই যি ডিক্টেটৰী শাসন চলালে তাৰ শেষত এই প্ৰজাতন্ত্ৰী দল সমূহৰ বৃদ্ধি কিছু পৰিমাণে বাঢ়িল। এওঁলোক সকলোৰে লগ হ'ল, পৰস্পৰৰ লগত হাত মিলাই চলিবলৈ আৰম্ভ কৰিলে।

এওঁলোকে প্ৰথম সাফল্য লাভ কৰিলে ১৯৩১ চনৰ পৌৰ সভাৰ নিৰ্বাচনত, সেই নিৰ্বাচনত সকলোতে প্ৰজাতন্ত্ৰী প্ৰাৰ্থীসকলেই ভাল ধৰণে জয়লাভ কৰিলে। ৰজাই (তেওঁ আছিল একালৰ বুৰ্বোঁ আৰু একালৰ হাপচবৰ্গসকলৰ বংশধৰ) এইবোৰ দেখি ভয় খালে, নৰাখৰিকৈ দেশ এৰি পলাই গ'ল। দেশত প্ৰজাতন্ত্ৰ ঘোষণা কৰা হ'ল। এই বিপ্লৱত বহুতো যুদ্ধ বা ৰক্তপাতৰ আৱশ্যক হোৱা নাছিল।

ৰুচিয়াৰ প্ৰথম বিপ্লৱৰ (১৯১৭ চনৰ মাৰ্চ মাহত যি বিপ্লৱ হয়) লগত স্পেইনৰ বিপ্লৱৰ বৰ আচৰিত ধৰণে মিল আছে। ৰুচিয়াৰ জাৰতন্ত্ৰৰ দৰেই ইয়াত পুৰণি ৰাজতন্ত্ৰ ব্যৱস্থা একেবাৰে খহি অহি গৈছিল, অলপ আগত লাগোতেই সেই ব্যৱস্থা হুৰমূৰকৈ ভাঙি গ'ল। বিৰোধী পক্ষৰ লগত এবাৰ মুখামুখি হবলৈ নিবিচাৰিলে। সামন্তবাদৰ উচ্ছেদ সাধিবলৈ উভয় ক্ষেত্ৰতে পলমকৈ বিপ্লৱ হৈছিল। লগতে ভূমি ব্যৱস্থা সংশোধন কৰিবলৈ বিচাৰিছিল—যাইকৈ হৈছা দিছিল দৰিদ্ৰতাই হেচি ধৰা খেতিয়কসকলে। গিৰ্জাৰ কতৃত্বৰ অসহনীয় বোজা বুলি ৰুচিয়াতকৈয়ো স্পেইনত বেছি উপলব্ধি কৰা হৈছিল। দুয়োটা বিপ্লৱৰ মূলতে অস্থিৰ অৱস্থাৰ সৃষ্টি হৈছিল। বিভিন্ন শ্ৰেণীয়ে বিভিন্ন দিশলৈ টনা-আজোৰা লগাইছিল। গোঁপন্থী আৰু উগ্ৰ বাওঁপন্থী দুয়ো পক্ষই বিদ্ৰোহ কৰে। ৰুচিয়াত এই অস্থিৰ অৱস্থাৰ পৰিণতি স্বৰূপে নৱেম্বৰৰ বিপ্লৱ হয়, কিন্তু স্পেইনৰ সেই অৱস্থাই চলি আছে।

স্পেইনত যি নতুন শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হৈছে, তাৰ কিছু কথা লক্ষ্য কৰিবলগীয়া। আইন সভাত এখন মাত্ৰ পৰিষদ, তাৰ নাম হ'ল 'কৰটেছ'। সকলো নাগৰিককে ভোটৰ অধিকাৰ দিয়া হৈছে। শাসন তন্ত্ৰ এটি বিশেষ ব্যৱস্থা হৈছে এয়ে যে লীগ অব নেচনৰ অনুমতি নোহোৱাকৈ প্ৰেচিডেণ্টে কোনো ৰকমৰ যুদ্ধ ঘোষণা কৰিব নোৱাৰিব। লীগ অব নেচনচে গ্ৰহণ কৰা আৰু স্পেইনে অনুমোদন কৰা আন্তঃৰাষ্ট্ৰীয় চনদ স্পেনীয় আইনৰ অবিলম্বে পৰিণত হব—ইয়াৰ বিপৰীতমুখী কিবা আইন থাকিলে সি বাতিল হৈ যাব।

এই নতুন গণতান্ত্ৰিক দেশৰ চৰকাৰ পক্ষৰ সম্বন্ধে যিসকলে বৰ্ণনা দিছে তেওঁলোকে কলে এইটো এটা বাওঁপন্থী উদাৰ নৈতিক প্ৰজাতন্ত্ৰ, তাৰ লগত অলপ চছিয়েলিষ্ট গোন্ধ মিহলোৱা আছে। প্ৰধানমন্ত্ৰী আৰু চৰকাৰী মহলৰ প্ৰধান


স্পেইনত গৃহযুদ্ধ
বিদ্রোহী সকলৰ অধিকৃত অঞ্চল ১৯৩৮ চনৰ শেষত
স্পেনীয় মৰক্কো ফাংকোৰ ১ম ঘাঁটি

যুক্ত আছিল জেনেৰেল আজানা। প্ৰথমৰ পৰাই এই চৰকাৰ নানাবিধ কঠিন সমস্যাৰ সন্মুখীন হ'বলগীয়া হ'ল। মাটি লৈ ধৰ্ম প্ৰতিষ্ঠান লৈ—সৈন্য বাহিনীক লৈ। এইবোৰ বিষয় লৈ কৰ্টেছে বহুত যুক্তৰ একাকী আইন প্ৰণয়ন কৰিলে। কিন্তু কাৰ্যত বৰ বেছি একো কৰিব নোৱাৰিলে। এটি উদাহৰণ চোৱা —আইন কৰা হ'ল, যি মাটিত জলসিঞ্চনৰ ব্যৱস্থা আছে, এনে মাটি ২৫ একৰৰ বেছি কোনো এজন লোক বা এটা পৰিয়ালৰ হাতত থাকিব নোৱাৰিব, আৰু ইও থাকিব যিমান দিনলৈকে সেই মাটিত তেওঁলোকে খেতি-বাতি কৰিছে, সিমান দিনহে। কাৰ্যত কিন্তু ডাঙৰ ডাঙৰ জমিদাৰসকলৰ মাটিবোৰ তিষ্ঠি থাকিল, গ'ল কেৱল ৰজাৰ আৰু কেইজনমান বিদ্ৰোহী অভিজাত সম্প্ৰদায়ৰ লোকৰ। এইবোৰ বাজেয়াপ্ত কৰি লোৱা হ'ল।

ধৰ্ম প্ৰতিষ্ঠানবোৰৰ যিমান সম্পত্তি আছিল, কৰ্টেছে সেই সকলো জাতীয় সম্পত্তি বুলি ঘোষণা কৰিলে। কিন্তু এই নীতিকো কাৰ্যত পৰিণত কৰা নহ'ল। কেৱল শিক্ষাৰ ক্ষেত্ৰতে ধৰ্ম প্ৰতিষ্ঠানবোৰৰ ওপৰত কিছু পৰিমাণে বাধা আৰোপ কৰা হ'ল। আন বিষয়ত তেওঁলোকৰ অধিকাৰত কোনো হাত দিয়া নহ'ল। সৈন্যসকলে যিবোৰ অধিকাৰ ভোগ কৰিছিল, তাৰ কিছুমান অধিকাৰ কাঢ়ি লোৱা হ'ল। উদাৰভাৱে পেঞ্চন দি বহুতক কামৰ পৰা অৱসৰ দিয়া হ'ল।

১৯৩২ চনৰ জানুৱাৰী মাহত এনাৰ্কিষ্ট আৰু ছিণ্ডিকেলিষ্টসকলে কেটেলোনিয়াত এটা ডাঙৰ বিদ্ৰোহ কৰিলে, চৰকাৰে সেই বিদ্ৰোহ দমন কৰিলে। এই বছৰৰ ভিতৰতে দক্ষিণপন্থীসকলেও এবাৰ বিদ্ৰোহৰ আয়োজন কৰিলে—কিন্তু সেই বিদ্ৰোহ ব্যৰ্থ হ'ল।

প্ৰথম কেইবছৰমান এই প্ৰজাতন্ত্ৰই যি কাম দেখুৱাইছে, তাৰ কাৰণে ইয়াক ধন্যবাদ দিবলগীয়া, বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত। ভূমি সমস্যাৰ মীমাংসা কৰিবৰ কাৰণে আৰু শ্ৰমিকসকলৰ অৱস্থাৰ উন্নতি সাধনৰ কাৰণেও অলপ চেষ্টা এওঁলোকে কৰিছে। কিন্তু মাটিৰ ব্যৱস্থাৰ সংস্কাৰৰ বাবে যি চেষ্টা চলিছে, তাৰ গতি অতি মন্থৰ। তাৰ ফলত কৃষকসকলো অসন্তুষ্ট হৈছে। ইফালে নানা স্বাৰ্থ জড়িত ষোপনি পুতি বহি আছে, প্ৰজাতন্ত্ৰৰ পক্ষে সেইটো ভয়ৰ কথা। উদাৰ পন্থী চৰকাৰে— এওঁলোকৰ বিৰুদ্ধে কোনো কঠোৰ ব্যৱস্থা অৱলম্বন কৰা নাই।

মন্তব্য—(নবেম্বৰ, ১৯৩৮)

১৯৩৩ চনত দেখা গ'ল স্পেইনত যিবোৰ প্ৰগতি বিৰোধী দল আছিল তেওঁলোকে শক্তি বঢ়াই লৈছে। ১৯৩৩ চনত দেশত নিৰ্বাচন হ'ল, নিৰ্বাচনত এই বুঢ়িয়া দক্ষিণপন্থীসকলৰ দল জিকিল। দেশত প্ৰগতি বিৰোধী চৰকাৰ প্ৰতিষ্ঠিত হ'ল, সেই চৰকাৰ প্ৰতিষ্ঠিত হৈয়েই কৃষি সংকটৰ যি চেষ্টা চলাইছিল, সেইটো বন্ধ কৰি দিলে ধৰ্ম প্ৰতিষ্ঠানসমূহৰ প্ৰতিপত্তি বঢ়ালে একেআষাৰে কৰ্টেছে গলে আগৰ চৰকাৰে যি যি কাম কৰিছিল, তাৰ বহুখিনি বাতিল কৰি দিলে। ইয়াৰ ফলত আকৌ বামপন্থী দলবোৰৰ মাজত একতা গঢ়ি উঠিল। প্ৰগতি বিৰোধী সকলক বাধা দিবলৈ তেওঁলোকে সংবদ্ধ হ'ল। ১৯৩৪ চনৰ অক্টোবৰ মাহত

স্পেইনৰ সকলোতে সংঘৰ্ষ আৰম্ভ হল। কিন্তু চৰকাৰে সেই সংঘৰ্ষ দমন কৰিলে। বামপন্থীসকলক দমাই ৰাখিলে। বামপন্থীসকল কিন্তু শান্ত নহ'ল। তেওঁলোকে তেতিয়া নিজৰ ভিতৰতে একতা গঢ়ি তুলিবলৈ লাগিল। ইয়াৰ ফলত এটি গণসন্থাৰ সৃষ্টি হল, উদাৰ পন্থী চছিয়েলিষ্ট, এনাৰ্কিষ্ট, আৰু কমিউনিষ্ট, এওঁবিলাকৰ সকলোকে লৈ। ১৯৩৬ চনৰ ফেব্ৰুৱাৰী মাহত কৰটেছৰ নিৰ্বাচন হল। সেই নিৰ্বাচনত এই গণসন্থা জিকি গ'ল। দেশত নতুন চৰকাৰ প্ৰতিষ্ঠিত হ'ল। এই নতুন চৰকাৰে ভুমি সমস্যাৰ সমাধান কৰিবলৈ আৰু ধৰ্ম প্ৰতিষ্ঠানৰ ক্ষমতা খৰ্ব কৰিবলৈ লাগি যাব আৰু ন্যস্ত স্বাৰ্থৰ প্ৰতি এওঁলোকে উদাৰতা নেদেখুৱাব বুলিয়েই ভবা হৈছিল। এতেকে দেশৰ ভিতৰত বিৰোধৰ বতাহ ক্ৰমে বাঢ়ি আহিল। প্ৰগতি বিৰোধী দলসমূহে স্থিৰ কৰিলে এইবাৰ তেওঁলোকেও কঠোৰ আঘাত কৰিব। পিচৰপৰা তেওঁলোকক উৎসাহ দিবলৈ ধৰিলে মুচলিনী আৰু জাৰ্মাণৰ নাজীসকলে।

১৯৩৬ চনৰ জুলাই মাহত জেনেৰেল ফ্ৰাঙ্কোৱে বিদ্ৰোহ ঘোষণা কৰিলে এই বিদ্ৰোহ প্ৰথমে আৰম্ভ হল স্পেইন শাসিত মৰক্কোত। মুৰ সৈন্যবাহিনীৰ সহায় ললে ফ্ৰাঙ্কোৱে। তেওঁলোকক প্ৰতিশ্ৰুতি দিছিল যে স্পেইনৰ অধিয়তে শাসিত মৰক্কোক তেওঁ স্বাধীন কৰি দিব। উচচ পদস্থ সেনানায়ক থকা আৰু সৈন্যবাহিনীৰ বেছি ভাগেই ফ্ৰাঙ্কোৰ দলত যোগ দিলে। তাকে দেখি এনে ভাব হ'ল চৰকাৰ পক্ষৰ এইবাৰ আৰু ৰক্ষা নাই। অৱস্থা দেখি চৰকাৰে তেতিয়া জনসাধৰণক আহ্বান জনালে, কলে আহা যুদ্ধ কৰা। আমাৰ একো অস্ত্ৰ যদি নাথাকে তেন্তে কেৱল হাতৰ ঘোচা দাঙিয়েই যুদ্ধ কৰা। দেশৰ জনসাধৰণে এই আহ্বানক আচৰিত ধৰণে সঁহাৰি জনালে। বিশেষকৈ মাদ্ৰিদ আৰু বাৰ্চিলোনা অঞ্চলৰ লোকসকলে। চৰকাৰ আৰু গণতন্ত্ৰ মৃত্যুৰ মুখৰপৰা সাৰিল। কিন্তু ফ্ৰাঙ্কোৱে বহু ঠাই দখল কৰি ললে।

তেতিয়াৰপৰাই সংগ্ৰাম চলিছে। ইটালী আৰু জাৰ্মাণীয়ে ফ্ৰাঙ্কোক বৰ ডাঙৰ সহায় কৰিছে। বহুতো সৈন্য, বিমান, বৈজ্ঞানিক সৈন্য, আৰু অস্ত্ৰ-সস্ত্ৰৰ যোগাৰ ধৰিছে। গণতন্ত্ৰী চৰকাৰক সহায় কৰিবলৈকো বহুতো বিদেশী সৈন্য আগুৱাই আহিছিল। চৰকাৰেও ইয়াৰ ভিতৰতে এটি সুন্দৰ সৈন্যবাহিনী গঢ়ি তুলিলে। বৃটিছ আৰু ফৰাচী চৰকাৰে ঘোষণা কৰিছিল, তেওঁলোকে এই যুদ্ধত কোনো হস্তক্ষেপ নকৰিব, এয়ে তেওঁলোকৰ নীতি। কিন্তু এই নীতিৰে কাৰ্য ক্ষেত্ৰত তেওঁলোকে ফ্ৰাঙ্কোকেই সহায় কৰিছে।

বহু ডাঙৰ ডাঙৰ ঘটনা ঘটিছে এই স্পেইনৰ যুদ্ধত। ইটালী আৰু জাৰ্মাণীৰ যি বিমান বাহিনীয়ে ফ্ৰাঙ্কোৰ হৈ যুঁজ কৰিছে, তেওঁলোকে যুদ্ধক্ষেত্ৰৰ সীমাৰ বহুত নিৰীহ জনসাধৰণৰ ওপৰত বোমা পেলাইছে, বহুত মানুহক মাৰিছে। মাদ্ৰিদ ৰক্ষাৰ কাৰণে যি যুঁজ হৈছিল, সি এটা প্ৰসিদ্ধ ঘটনা। বৰ্ত্তমান স্পেইন দেশৰ তিনি চতুৰ্থাংশ স্থানেই ফ্ৰাঙ্কোৰ দখলত। তথাপি গণতন্ত্ৰ বাদীসকলৰ সেনাই তেওঁলোকক বেছ ব্যতিব্যস্ত কৰি ৰাখিছে। সৈন্যৰ সংস্থানৰ ফালৰপৰা গণতন্ত্ৰী চৰকাৰক বেছ শক্তিশালীয়েই বুলিব লাগিব। এওঁলোকৰ এতিয়া প্ৰধান বিপত্তি হৈছে, খাদ্য-বস্তুৰ অভাৱ।

স্পেইনৰ এই যুদ্ধ, ই কেৱল এখন দেশৰ আভ্যন্তৰীণ বিৰোধ নহয়—তাতকৈ বহুত ডাঙৰ ঘটনা। এইখন এতিয়া হৈছে এখন ডাঙৰ যুদ্ধৰ প্ৰতীক—তাৰ একালে গণতন্ত্ৰ, আনফালে ফেচিজিম, দেখা যাওক, কোন হাৰে কোন জিকে। এই কাৰণেই পৃথিৱীৰ সকলো মানুহেই বিশেষ মনোযোগেৰে আৰু উৎকণ্ঠাৰে ইয়াৰ ফালে চাই আছে।

১৯০

জাৰ্ম্মাণীত নাজীসকলৰ জয়লাভ

৩১ জুলাই, ১৯৩৩

স্পেইনত বিপ্লৱ ঘটাৰ কাৰণে বহুত মানুহে আচৰিত হৈছে, কিন্তু আচলতে আচৰিত হবলগীয়া ইয়াত একেবাৰেই নাছিল। এই বিপ্লৱ ঘটনাৰ চক্ৰত স্বাভাৱিক নিয়মেই ঘটিছে। যিসকলে স্পেইনৰ অৱস্থা মন কৰি চাইছিল তেওঁলোকে জানিছিল এই বিপ্লৱ ঘটিবই। ৰজা-সামন্ত-পাদুৰীয়ে যি পুৰণি ব্যৱস্থা তিষ্ঠি আছিল, তাৰ আগে-গুৰিয়ে ঘুণে ধৰিছে। প্ৰাণশক্তি বুলি ইয়াৰ একেবাৰেই নাছিল। সেয়ে পকা ধানৰ দৰে অলপ হেচা লাগোতেই ই টুপ কৰে সৰি পৰিল। ভাৰতবৰ্ষতো অতি পুৰণি যুগৰ সেই সামন্ত প্ৰথাৰ বহুতো ভগ্নাৱশেষ এতিয়াও দেখা যায়। বিদেশী ৰাজ শক্তিয়ে তাক ঠেকা দি থিয় কৰাই ৰাখিছে। সেয়ে নহলে, বহুদিনৰ আগতে ই লুপ্ত হলহেঁতেন।

জাৰ্ম্মাণীত সম্প্ৰতি যিবোৰ পৰিবৰ্ত্তন ঘটিছে, সি কিন্তু একেবাৰে বেলেগ. জগতৰ বহু ভাবে দেখি 'যুৰোপৰ তন্দ্ৰা ভাঙিছে', বহুতো মানুহ বিস্ময়ত হত-ভম্ব হৈ পৰিছে। জাৰ্ম্মাণসকলৰ দৰে এটা সভ্য, সংস্কৃতি সম্পন্ন আৰু প্ৰগতিশীল জাতিয়ে যে এনে পাশৱিক আৰু বৰ্ব্বৰ আচৰণ কৰিব পাৰে, ই বৰ আচৰিত কথা।

জাৰ্ম্মাণীত হিটলাৰ আৰু তেওঁৰ নাজীসকলৰ জয় হৈছে। এওঁলোকক ফেচিষ্ট বুলি কোৱা হয়। এওঁলোকৰ জয়ক কোৱা হয় প্ৰতি বিপ্লৱৰ জয়—১৯১৮ চনত জাৰ্ম্মাণীত যি বিপ্লৱ হৈছিল আৰু তাৰ ফলতো যিবোৰ ঘটনা ঘটিছে ই তাৰেই সম্পূৰ্ণ নিৰাকৰণ। অতি সঁচা কথা হিটলাৰ-তন্ত্ৰৰ মাজত ফেচিজমৰ সকলো লক্ষণকে দেখা গৈছে, দেখিছো প্ৰতিক্ৰিয়াৰ এটি জঘন্য প্ৰকাশ, দেখিছো গোটেই উদাৰপন্থীসকলৰ ওপৰত আৰু বিশেষকৈ শ্ৰমিকসকলৰ ওপৰত এটা পাশৱিক আক্ৰমণ। তথাপি কিন্তু ই অকল প্ৰতিক্ৰিয়াই নহয় তাতকৈ বহুত বেছি। ইটালীৰ ফেচিজমৰ তুলনাত ই এটা বহুত ডাঙৰ কথা। জনসাধাৰণৰ মনত ইয়াৰ আলোচনা বহুত বেছি দৃঢ়ভাৱে প্ৰতিষ্ঠিত। যিসকলৰ মাজত এইবোৰ ধাৰণাই ঠাই লৈছে তেওঁলোক বনুৱা নহয়, অনাহাৰে থাকি, স্থানচ্যুত হৈ বিপ্লৱী হৈ উঠা মধ্যবিত্ত শ্ৰেণীৰ লোক।

আগৰ এখন চিঠিত ইটালীৰ কথা কবলৈ গৈ মই ফেচিজমৰ সম্বন্ধে আলোচনা কৰিছিলোঁ, কৈছিলোঁ। অৰ্থনৈতিক সংকটৰ হেচাত পৰি যেতিয়া পুঁজিবাদী ৰাষ্ট্ৰৰ

অস্তিত্ব বিপন্ন হৈ উঠে তেতিয়াই হয় ফেচিজিমৰ সৃষ্টি, একোটা সমাজ বিপ্লৱৰ মাজেদি। ধনী শ্রেণীয়ে নিজক বচাবলৈ একোটা গণ আন্দোলন গঢ়ি তোলে, নিম্ন মধ্যবিত্ত শ্রেণীৰ এটা দল হয় সেই আন্দোলনৰ পৰিচালক। পুঁজিবাদী বিৰোধী ধ্বনি তুলি মানুহক বিভ্রান্ত কৰে, সতর্ক হৈ নথকা কৃষক আৰু শ্রমিকক নিজৰ দলভুক্ত কৰি লয়। তাৰ পিছত ক্ষমতা হাতত পৰাৰ পিছত, ৰাষ্ট্রৰ নিজৰ আয়ত্তলৈ লৈ অহাৰ পিছত এওঁলোকে গোটেই গণতান্ত্রিক প্রতিষ্ঠানকেই লুপ্ত কৰি দিয়ে। গোটেই শত্রু পক্ষকেই ধ্বংস কৰি পেলায়। বিশেষকৈ শ্রমিকসকলৰ গোটেই সংগঠনকেই ভাঙি-চিঙি পেলায়। এই কাৰণেই এওঁলোকৰ শাসনৰ প্রধান উপায় হৈছে বল প্রয়োগ। মধ্যবিত্ত শ্রেণীৰ যি লোকসকলে এওঁলোকক সলনি কৰিছে, এই নতুন ৰাষ্ট্রত তেওঁলোকক চাকৰি দি ৰখা হয়, শিল্প ব্যৱসায়ৰ ওপৰত অলপ চৰকাৰী নিয়ন্ত্রণৰ ব্যৱস্থাও সাধাৰণতে প্রবর্ত্তন কৰা হয়। জাৰ্মাণীত এইবোৰ ঘটা আমি দেখিবলৈ পাইছো ই অভাৱনীয় কথা নহয়। কিন্তু ইয়াৰ প্রতি দেখা দিয়া বিপুল আগ্রহ আৰু হিটলাৰৰ লগ লগা মানুহৰ সংখ্যাৰ কথা ভাবিলেহে আচৰিত যেন লাগে।

নাজীসকলৰ এই প্রতি বিপ্লৱ ঘটে মার্চ মাহত ১৯৩৩ চনত। কিন্তু মই তোমাক আৰু আগৰ দিনলৈ লৈ যাম। এই আন্দোলনৰ আৰম্ভ কিদৰে হৈছিল সেই অৱস্থাটো দেখুৱাই আনিম।

১৯১৮ চনত জার্মাণীত যি বিপ্লৱ হৈছিল সেইটো হৈছে এটা ভুৱা। বিপ্লৱ তাক নোবোলে। কাইজাৰ গুচি গল, প্রজাতন্ত্র প্রতিষ্ঠিত হল। কিন্তু দেশৰ ৰাজনৈতিক, অর্থনৈতিক, আৰু সামাজিক ব্যৱস্থা যিদৰে আছিল সেইদৰে থাকি গল। কেইবছৰমান ধৰি দেশৰ শাসন কর্তৃত্ব থাকিল চছিয়েল ডেমক্রেটসকলৰ হাতত। আগৰ দিনৰ প্রগতি বিৰোধী আৰু ন্যস্ত স্বার্থজড়িত মহললৈ এওঁলোকে বৰ ভয় কৰি চলিছিল। সদায়েই এওঁলোকৰ লগত এটি আপোচ মীমাংসা কৰিবলৈ বিচাৰিছিল। তেওঁলোকৰ জোৰ বেচি—তেওঁলোকৰ দল বৰ শক্তিশালী, ইয়াৰ সভ্যৰ সংখ্যা বহু লাখ, ট্রেড ইউনিয়ন বোৰ তেওঁলোকৰ পক্ষে, দেশৰ আৰু বহুতে এওঁলোকক সলনি কৰিছিল। তথাপি প্রগতি বিৰোধীসকলৰ আগত লেউসেউ হৈ থাকি, কোনো ৰকমে নিজক বচাই চলায়েই এওঁলোকৰ নীতি। উগ্রমূর্ত্তি ধৰিছিল এওঁলোকে কেৱল নিজৰ ভিতৰতে থকা উগ্র বামপন্থীসকলৰ প্রতি কমিউনিষ্ট দলৰ প্রতি। দেশ শাসনৰ কথাত, এওঁলোকে এনে খেলিমেলি লগালে যে বহুত সমর্থকে এওঁলোকক এৰি গল। যিসকল শ্রমিক এওঁলোকৰ পক্ষ ত্যাগ কৰিলে, তেওঁলোকে গৈ যোগ দিলে কমিউনিষ্টৰ দলত। মধ্যবিত্ত শ্রেণীৰ যিসকল এওঁলোকৰ সমর্থনত আছিল, তেওঁলোকে গৈ যোগ দিলে, প্রগতি বিৰোধী দলবোৰৰ লগত। চছিয়েল ডেমক্রেট আৰু কমিউনিষ্টসকলৰ মাজত লেঠাৰি নিচিগাকৈ সংগ্রাম চলিবলৈ ধৰিলে, তাৰ ফলত দুয়ো দলেই দুর্ব্বল হৈ পৰিল।

যুদ্ধৰ কালত জার্মাণীত বৰ মুদ্রাস্ফীতি ঘটিল। জার্মাণীৰ শিল্পপতি-সকলে আৰু জাঙ্কাৰ ডাঙৰ মাটিৰ মালিকসকলে মুদ্রাস্ফীতিৰ সমর্থন জনালে।

মুদ্ৰাস্ফীতিৰ ফলত টকা প্ৰায় মূল্যবান হৈ পৰিল, মাটিৰ মালিকসকলৰ বহুতো দিৱলগীয়া আছিল, দেনাৰ দায়ত ভূ-সম্পত্তি বন্ধকত আছিল, তেওঁলোকে সেই টকাত অনায়াসে দেনা শোধ কৰি দিলে। বন্ধকী ভূ-সম্পত্তি আকৌ উদ্ধাৰ কৰা সহজ, ডাঙৰ ডাঙৰ কাৰখানাৰ মালিকসকলেও, তেওঁলোকৰ কাৰখানা বঢ়াই তুলিলে, ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ জোট গঢ়ি তুলিলে। জাৰ্ম্মাণীৰ বস্তু ইমান সস্তা হৈ পৰিল যে পৃথিৱীৰ সকলোতে সেই বস্তু বৰকৈ চলিবলৈ ধৰিলে। জাৰ্মাণীত নিবনুৱা সমস্যাৰ চিন নোহোৱা হল। মালিকসকলৰ ট্ৰেড ইউনিয়ন আছিল অতি শক্তিশালী, মালৰ মূল্য ক্ৰমে কমি আহিল, কিন্তু এওঁলোকে শ্ৰমিকৰ প্ৰাপ্য মজুৰি অকুণ্ঠকৈ ৰাখিলে। মুদ্ৰাস্ফীতিৰ আঘাট গৈ পৰিল মধ্যবিত্ত শ্ৰেণীৰ ওপৰত। তেওঁলোক একেবাৰে সৰ্বস্বান্ত হৈ পৰিল। ১৯২৩—২৪ চনত যি মধ্যবিত্ত শ্ৰেণী [illegible]ভাবে প্ৰায় লুপ্ত হল—তেওঁলোকেই প্ৰথমে হিটলাৰ দলত যোগ দিলে। তাৰ পিছত বহুত বেঙ্ক বন্ধ হৈ গল। নিবনুৱা সমস্যা বাঢ়িল, দেশত অৰ্থসংকট প্ৰবল হৈ উঠিল। তাৰ লগে লগে আৰু বহুতো লোকে হিটলাৰৰ দলত গৈ যোগ দিলে। দেশৰ যিয়ে যত অসন্তোষ বা ক্ষোভত দিন কটাইছে, তেৱেঁই হৈ পৰিল তেওঁলোক সকলোৰে আশ্ৰয়ৰ থল। আৰু এঠাইৰপৰা তেওঁ বহুলোক টানি আনিলে, সেইবোৰ হৈছে পুৰণি সৈন্যবাহিনীৰ বিষয়াসকল। "যুদ্ধৰ পিছত ভাৰ্চাইলচ সন্ধিৰ চৰ্ত্ত অনুসৰি সেই পুৰণি সৈন্যাবহিনীক ভাঙি দিয়া হৈছিল, তাৰ হাজাৰ হাজাৰ সৈনা তেতিয়া নিবনুৱা হৈ বহি আছে, তেওঁলোকৰ একো কাম নাই। দেশত তেতিয়া বহুতো বেচৰকাৰী বাহিনী গঢ়ি উঠিছে, এওঁলোক লাহে লাহে গৈ সেইবোৰ একো একোটাৰ লগ লাগিল। নাজীসকলৰ বাহিনীৰ নাম আছিল 'ঝটিকা বাহিনী' আৰু 'লৌহশিৰস্ত্ৰাণ নিৰস্ত্ৰণ' বাহিনী আছিল জাতীয়তাবাদীসকলৰ সৈন্য। এওঁলোক ৰক্ষণ-পন্থী, কাইজাৰৰ শাসন আকৌ ঘূৰাই অনাৰ পক্ষপাতী।

এই এডল্‌ফ হিটলাৰ কোন? শুনি আচৰিত হবা, ক্ষমতা লাভ কৰাৰ এক কি দুই বছৰ আগতেওঁ এওঁ কিন্তু জাৰ্মাণীৰ নাগৰিক প্ৰজাও নাছিল। হিটলাৰ এজন জাৰ্মাণ অষ্ট্ৰীয়াৰ নিম্নপদস্থ সৈনিক স্বৰূপে তেওঁ যুদ্ধত যোগ দিছিল। জাৰ্মাণ প্ৰজাতন্ত্ৰৰ বিৰুদ্ধে এটি ব্যৰ্থ বিপ্লৱ বা 'পুটচ'ৰ আয়োজনতো তেওঁ যোগ দিছিল। কিন্তু কৰ্ত্তৃপক্ষই তেওঁক সামান্য শাস্তি দিয়েই এৰি দিছিল। ইয়াৰ পিছত তেওঁ (ডেমক্ৰেটৰ বিৰোধিতা কৰিবৰ কাৰণে তেওঁৰ নিজৰ দল গঢ়ি তোলে— এই দলৰ নাম নেচনেল চছিয়েলিষ্ট। এই নামৰপৰাই নাজী নামটোৰ সৃষ্টি হৈছে। এই দলটিৰ নামতে চছিয়েলিষ্ট, কিন্তু চছিয়েলিজিম বা সমাজতন্ত্ৰবাদৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। সমাজতন্ত্ৰ বোলোতে সাধাৰণতে আমি যি বুজো, হিটলাৰ আছিল তাৰ শত্ৰু, এতিয়াও তেওঁ সেয়েই। এই দলে তেওঁলোকৰ প্ৰতীক চিহ্ন-স্বৰূপে লৈছে 'স্বস্তিকা'ক। 'স্বস্তিকা' সংস্কৃত ভাষাৰ শব্দ—কিন্তু এই চিহ্নটো পুৰণি কালৰপৰাই পৃথিৱীৰ সকলোতে পৰিচিত হৈ আছে। এই প্ৰতীক চিহ্নটো ভাৰতত বৰ প্ৰচলিত, আৰু মাঙ্গলিক চিনস্বৰূপে ধৰা হয় তাক তুমি জানা। নাজীসকলৰ যুদ্ধ কৰা বাহিনী এটা গঠিত হল তাৰ নাম ঝটিকা বাহিনী' এওঁ-লোকে মুগা ৰঙণীয়া কামিজ পিন্ধিছিল। এই কাৰণেই নাজীসকলক বহু সময়তে ব্ৰাউন, চাৰ্ট বা মুগা চোলাৰ দল বোলো হয় ঠিক তেনেকৈ আমি ইটালীৰ ফেচিষ্ট-সকলক 'কলা কুৰ্ত্তা'ৰ দল বোলো।

নাজীসকলৰ কাৰ্য্যসূচী বিশেষ স্পষ্ট নহয়। ই বৰ বেছি জাতীয়তাবাদী। জাৰ্ম্মাণ আৰু জাৰ্ম্মাণ জাতিৰ মহত্ত্ব সম্বন্ধে ইয়াত বেছি জোৰ দিয়া হৈছে। তাৰ উপৰিও যি আছে, সি নানান মতবাদৰ এটি বিৰোধী মনোবৃত্তিৰ স্থান মিহলি। ই ভাৰ্চাইলচ সন্ধিৰ বিৰোধী। এওঁলোকৰ মতে এই সন্ধি জাৰ্ম্মাণ জাতিৰ পক্ষে অপমানকৰ। এই কথা শুনিয়েই বহুতো লোক নাজীসকলৰ প্ৰতি আকৃষ্ট হয়। মাৰ্ক্সবাদ কমিউনিজিম সমাজতন্ত্ৰবাদৰো ই বিৰোধী। শ্ৰমিকসকলৰ ট্ৰেড ইউনিয়ন বা তেনে ধৰণৰ সংগঠনৰো বিৰোধী। ইহুদী বিৰোধী, কাৰণ এওঁলোকৰ মতে ইহুদীবোৰ বিদেশী জাতি। তেওঁলোকৰ সংশ্ৰৱত 'আৰ্য' জাৰ্ম্মাণ জাতিৰ উচ্চজীৱনাদৰ্শ কলুষিত আৰু হীন হৈ পৰিছে। পুঁজিবাদৰ ই অলপ বিৰোধী, কিন্তু ই কেৱল পুঁজিপতিসকল আৰু লাভখোৰ সকলক গালি শপনি পৰাতেই আবদ্ধ। সমাজতন্ত্ৰৰ কথা এওঁলোকে এটা কথাত কয়—তাকো বেলেগ ভাষাত—ই হৈছে শিল্প-বাণিজ্য আদিত ৰাষ্ট্ৰৰ কিছু পৰিমাণে নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰতিষ্ঠা।

আৰু এই সকলোৰে পিছত আছে এটি অদ্ভুত নীতি বল প্ৰয়োগৰ নীতি। লোকৰ প্ৰতি বল প্ৰয়োগ আৰু উৎপীড়নত এওঁলোকে কেৱল প্ৰশংসা আৰু উৎসাহকে নিদিয়ে—তাক মানুহৰ সাৰ্থশ্ৰেষ্ঠ কৰ্তব্য বুলি ধৰে। জাৰ্ম্মাণত এজন প্ৰসিদ্ধ দাৰ্শনিক অচৱাল্ড স্পেংলাৰ, তেওঁ এই দৰ্শনৰ এজন প্ৰচাৰক। তেওঁ কয় মানুহ হৈছে— 'এটি চিকাৰী পশু, সাহসী, ধূৰ্ত্ত, আৰু নিষ্ঠুৰ' আদৰ্শবাদ মানেই কাপুৰুষতা, চিকাৰী............জন্তুৰেই হৈছে জীৱন্ত প্ৰাণ শক্তি সৰ্বশ্ৰেষ্ঠ নিদৰ্শন," তেওঁৰ ভাষাত, "সহানুভুতি, আপোচ-মীমাংসা, আৰু শান্তি হৈছে, দাঁত নোহোৱা অনুভতি।" "ঘৃণা চিকাৰী পশুৰ সকলোতকৈ নিভাজ জাতিগত চেতনা।" মানুহ সিংহৰ দৰে হব লাগিব, তাৰ দাঁতত তাৰ সমান শক্তিশালী আৰু এজনৰ অতিত্বৰ ই কেতিয়াও সহ্য নকৰে। শান্ত শিষ্ট গৰু পালত মিলি থাকে আৰু যিফালে খেদা সেই ফালেই যায় তাৰ দৰে হলে মানুহৰ নহব। সিংহৰ দৰে মানুহৰ কাৰণে যুদ্ধই হৈছে সকলোতকৈ ডাঙৰ কাম আৰু আনন্দ।

অচৱাল্ড স্পেংলাৰ এই যুগৰ সৰ্বশ্ৰেষ্ঠ পণ্ডিতসকলৰ অন্যতম। তেওঁ যিবোৰ কিতাপ লেখিছে, তাত ইমান পাণ্ডিত্যপূৰ্ণ কথা আছে তাক পঢ়িলে বিস্ময় মানিব লাগে। অথচ সেই অগাধ পাণ্ডিত্যৰ অধিকাৰী হৈয়ো তেওঁ এনে অদ্ভুত আৰু ঘৃণনীয় সিদ্ধান্তত উপনীত হৈছে। তাৰে কিছুমান কথা মই উদ্ধৃত কৰিছো— কাৰণ হিটলাৰৰ পিছত যি মনোভাৱ আছে তেওঁৰ কথাৰপৰা সেইটো বুজিব পৰা যাব। যোৱা কেইমাহ ধৰি যি নিষ্ঠুৰ আৰু পাশৱিক অত্যাচাৰৰ অনুষ্ঠান জাৰ্ম্মাণীত চলিছে তাৰ ব্যাখ্যাও ইয়াত পোৱা যাব। নাজীসকলৰ প্ৰত্যেকজন লোকৰেই এই মত, এই কথা ভবা ভুল হব। কিন্তু ইয়াৰ নেতাসকলে আৰু উগ্ৰ উৎসাহী সকলে নিশ্চয় এই মত পোষণ কৰে, আৰু তাকে দেখি আনেও কৰলৈ শিকিছে। নিজৰ দুখৰ দৈন্য আৰু জাতিৰ অপমানৰ আঘাতত (ফৰাচীসকলে ৰুঢ় দখল কৰি লোৱাত জাৰ্ম্মাণসকল বৰ ক্ষুব্ধ হৈছিল) তেওঁলোক উত্তেজিত হৈ উঠিছিল। হিটলাৰৰ বক্তৃতা শক্তি অসাধাৰণ সেই বক্তৃতাৰ জোৰতেই অজানিতে শ্ৰোতাৰ মনক তেওঁ উদ্বৰ্তন কৰি তুলিলে। যি ঘটিছে তাৰ সকলো দোষৰ বোজা জাপি দিলে, মাৰ্ক্সবাদী আৰু ইহুদীসকলৰ ওপৰত। ফ্ৰান্স আৰু আন আন দেশে যদি জাৰ্ম্মাণীৰ

প্ৰতি বেয়া ব্যৱহাৰ কৰিছে তেন্তে অধিক সংখ্যক লোকে নাজীদলত যোগ দিয়াৰ সপক্ষে কাৰণ কিয়নো নাজীসকলেই জাৰ্মাণীৰ সন্মান ৰক্ষা কৰিব। অৰ্থনৈতিক সংকট বাঢ়ি গলে ভৰ্তি হোৱা সদস্যৰ সংখ্যাও বাঢ়ে।

অলপ দিনৰ ভিতৰতে, শাসনৰ কথাত চাছিয়েল ডেমক্ৰেট দলৰ প্ৰভুত্বৰ অৱসান ঘটিল। আনদলবোৰৰ ভিতৰত প্ৰতিদ্বন্দ্বিতা চলিছে, এই সুবিধাতে কেথলিক কেন্দ্ৰীয় দল বুলি এটা দলে শাসন ক্ষমতা হাত কৰি ললে। ৰাইখষ্টাগৰ (পাৰ্লিয়ামেণ্ট) ভিতৰত কোনো এটি দলৰেই এনে শক্তি নাছিল যে আনক উপেক্ষা কৰি অকলে চলিব পাৰে, এতেকে দেশত ঘনে ঘনে নিৰ্বাচন হবলৈ ধৰিলে, চক্ৰান্ত আৰু দলাদলিও ক্ৰমে বাঢ়ি গল। নাজীসকলৰ দলবৃদ্ধিৰ কথা দেখি চছিয়েল ডেমক্ৰেটসকলে ভয় খালে যেয়ে তেওঁলোকে পুঁজিবাদী কেন্দ্ৰীয় দল আৰু প্ৰেচিডেণ্টৰ পদত বৃদ্ধ সেনাপতি হিণ্ডেনবাৰ্গৰ নিৰ্বাচন সমৰ্থন কৰিলে। নাজীসকলৰ ইমান দল বৃদ্ধি হোৱা সত্ত্বেও কিন্তু চছিয়েল ডেমক্ৰেট আৰু কমিউনিষ্ট, শ্ৰমিকসকলৰ এই দুটা দলৰ শক্তি তেতিয়াও বেছি—শেষলৈকে লাখ লাখ মানুহ এওঁলোকৰ দলত আছিল। দুয়ো পক্ষৰ আগত এক শত্ৰু তথাপি তেওঁলোক মিলি থাকিব নোৱাৰিলে। চছিয়েল ডেমক্ৰেট অঞ্চলৰ হাতত যিমান দিন শক্তি আছিল, (অৰ্থাৎ ১৯১৮ চনৰ পিছৰ পৰা) সিমান দিন তেওঁলোকে কমিউনিষ্টসকলৰ ওপৰত প্ৰচণ্ড উৎপীড়ন চলাই আহিছে। প্ৰত্যেক বাৰ সঙ্কট মুহূৰ্তত সি প্ৰগতি-বিৰোধী দলবোৰৰ পক্ষ অৱলম্বন কৰিছে, কমিউনিষ্টসকলৰ মনত সেই তিক্ততাৰ সোঁৱৰণি তেতিয়াও স্পষ্ট হৈ আছে। ইফালে চছিয়েল ডেমক্ৰেট দল বৃটিছ শ্ৰমিক দলৰ দৰেই এই দুয়ো দ্বিতীয় আন্তৰ্জাতিকৰ সভ্য। বৃটিছৰ শ্ৰমিক দলৰ দৰেই তাৰো অগাধ ধন-সম্পত্তি, দেশত ব্যাপক প্ৰতিষ্ঠা দেশৰ বহুতো ডাঙৰ ডাঙৰ লোক তাৰ পৃষ্ঠ-পোষক। তাৰ নিৰাপত্তা বা প্ৰতিষ্ঠা নষ্ট হব পাৰে, এনে কোনো কাৰ্য কৰিবলৈ এওঁলোক মান্তি নহয়। আইনৰ বিৰুদ্ধে অলপ কিবা কৰা বা প্ৰত্যক্ষ সংগ্ৰাম যাক কয় তেনে কোনো অনুষ্ঠানত ব্ৰতী হবলৈ বৰ ভয় কৰিছিল। এই দলৰ যিখিনি শক্তি আৰু উদ্যম আছিল, তাৰ বেছি ভাগেই ব্যয় কৰিলে কমিউনিষ্ট সকলৰ লগত যুঁজ কৰোতে। অথচ এই দুটা দল আছিল একে ধৰণৰ মাৰ্ক্স পন্থী।

জাৰ্মাণী পৰিণত হ'ল এখন যুদ্ধক্ষেত্ৰত। তাৰ দুফালে দুটা সমান শক্তিশালী বাহিনী থিয় হৈ আছে। প্ৰায়েই হাই-কাজিয়া আৰু তাৰ হত্যা চলিবলৈ ধৰিলে। বিশেষকৈ নাজীসকলৰ হাতত কমিউনিষ্ট শ্ৰমিক হত্যা। একে সময়ত শ্ৰমিক সকলেও ওলোটা প্ৰতিশোধ ললে। হিটলাৰে এটা প্ৰকাণ্ড ক্ষমতাৰ পৰিচয় দিলে। এটা সামঞ্জস্যহীন দলক তেওঁ নাকী টানি এক কৰি ৰাখিলে। তাৰ ভিতৰত বহুতো কাৰো লগত কাৰো সাদৃশ্য নাই। শিল্পপতি সকলে হিটলাৰক সমৰ্থন কৰিছিল, টকা যোগাইছিল, কাৰণ তেওঁ সমাজতন্ত্ৰী দলক নিন্দা কৰিছিল। অতি দুখীয়া, মধ্যবিত্ত শ্ৰেণীবোৰ, খেতিয়কসকল, আনকি শ্ৰমিক সকলো বহুতে তেওঁৰ আকৃষ্ট হৈছিল—তেওঁৰ পুঁজিবাদৰ বিৰোধী বক্তৃতা শুনি।

১৯৩৩ চনৰ ৩০ জানুৱাৰী তাৰিখে বৃদ্ধ প্ৰেচিডেণ্ট হিণ্ডেনবাৰ্গে (তেতিয়া তেওঁৰ ৮৬ বছৰ) হিটলাৰক চেন্সেলাৰ কৰি দিলে। জাৰ্মাণীত এইটোৱেই হৈছে শাসন বিভাগৰ আটাইতকৈ ডাঙৰ পদ। আন আন দেশৰ প্ৰধান মন্ত্ৰীৰ সমান। নাজী আৰু জাতীয়তাবাদীসকলৰ মাজত এক মিত্ৰতা হৈছিল। কিন্তু দুদিন নাপা-

ওতেই স্পষ্ট বুজা গল নাজীসকলেই সকলো কাম চলাইছে—আন কাকো গণ্য কৰা নাই। এটা সাধাৰণ নিৰ্বাচনত হল, তাৰ ফলত নাজীসকলে আৰু তেওঁলোক মিত্ৰদল জাতীয়তাবাদীসকল একেলগ হৈ কোনো ৰকমে এটা সংখ্যা গৰিষ্ঠতা পালে। অৱশ্যে এই সংখ্যা গৰিষ্ঠতা নাপালে বিশেষ হানি একো নহলহেঁতেন, কাৰণ পাৰ্লিয়ামেণ্টত নাজীসকলৰ যিমান বিৰোধী দল আছিল, সকলোকে তেওঁলোকে গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থলে। পাৰ্লিয়ামেণ্টৰ সকলো কমিউনিষ্ট সভ্যক আৰু চছিয়েল ডেমক্ৰেটসকলৰ বহুতকে আঁতৰাই ৰখা হল। ঠিক এই সময়তে ৰাইখষ্টাগৰ ঘৰটো জুই লাগি পুৰি গল, নাজীসকলে কলে এইটো কমিউনিষ্টসকলৰ কীৰ্তি, ৰাষ্ট্ৰক দুৰ্বল কৰাৰ উদ্দেশ্যে তেওঁলোকৰ এই চক্ৰান্ত। কমিউনিষ্টসকলে এই অভিযোগৰ তীব্ৰ প্ৰতিবাদ কৰিলে। তেওঁলোকে কলে এইটো নাজীনেতাসকলেই কৰিছে, কমিউনিষ্টসকলৰ ওপৰত আক্ৰমণ চলোৱাৰ তেওঁলোকে এটা অজুহাত বিচাৰিছে।

তাৰ পিছত আৰম্ভ হল জাৰ্মাণ জুৰি নাজীসকলৰ অত্যাচাৰ। প্ৰথমতে পাৰ্লিয়ামেণ্ট বন্ধ কৰি দিয়া হল। ৰাষ্ট্ৰৰ ক্ষমতা ন্যস্ত কৰা হল হিটলাৰ আৰু তেওঁৰ মন্ত্ৰীসভাৰ ওপৰত। এওঁলোকে আইন প্ৰণয়ন কৰিব পাৰিব, যি ইচ্ছা তাকে কৰিব পাৰিব। হ্বাইমাৰ প্ৰজাতন্ত্ৰৰ যি শাসনতন্ত্ৰ ৰচিত হৈছিল সেইখন বাতিল কৰি দিয়া হ'ল। সকলো প্ৰকাৰ গণতন্ত্ৰৰ প্ৰতি খোলাখুলিভাৱে অৱজ্ঞা প্ৰকাশ কৰা হ'ল। জাৰ্মাণ আছিল এক প্ৰকাৰৰ যুক্তৰাষ্ট্ৰ তাকো উচ্ছেদ কৰা হ'ল; ৰাষ্ট্ৰ শাসনৰ সকলো ক্ষমতা আনি বাৰ্লিন কেন্দ্ৰীভূত কৰা হল। প্ৰত্যেক ঠাইতে ডিক্টেটৰ নিযুক্ত কৰা হ'ল। সৰ্বপ্ৰধান ডিক্টেটৰ পাচত থাকিল হিটলাৰ নিজে। এইবোৰ পৰিবৰ্তন যেতিয়া ঘটিছে তাৰেই ভিতৰত নাজী ঝটিকা বাহিনীক জাৰ্মাণৰ বুকত এৰি দিয়া হল। দেশৰ সকলোতে বিয়পি পৰি এওঁলোকে এনে অত্যাচাৰ আৰু আতঙ্কৰ সৃষ্টি কৰিলে যে তাৰ বৰ্বৰতাৰ আৰু নৃশংসতা দেখি মানুহ স্তম্ভিত হৈ গল। এনে অনুষ্ঠান পৃথিৱীত আগতে কেতিয়াও হোৱা নাছিল। সন্ত্ৰাসৰ সৃষ্টি আগতো হৈছিল, যেনে—'ৰেড টেৰৰ' 'হোৱাইট টেৰৰ।' কিন্তু গৃহযুদ্ধৰ যেতিয়া কোনো দেশে বা প্ৰধান দলে নিজক ৰক্ষা কৰিবৰ সময়তে সেয়ে হৈছিল। উৎকট বিপদ আৰু চিৰন্তন শঙ্কাৰ এয়ে প্ৰতিক্ৰিয়া আছিল। নাজীবিলাকৰ সন্মুখত তেনে কোনো বিপদে দেখা দিয়া নাছিল। ভয় কৰিবলগীয়া কাৰণো তেওঁলোকৰ পক্ষে নাছিল। তেওঁলোকে চৰকাৰ নিয়ন্ত্ৰণ কৰিছিল। কোনো সশস্ত্ৰ বিৰোধ বা বাধাও নাছিল। ব্ৰাউন টেৰৰ কোনো শঙ্কাৰ পৰিণতি নাছিল এই অত্যাচাৰ আৰম্ভ হৈছিল নাৰী দলত বিসকলে যোগ দিব বিচৰা নাছিল, তেওঁলোকৰ মৰাৰো এটি অতিশয় পাশৱিক অভিমান। ভাৱি-চিন্তি ঠাণ্ডা মুৰেৰে আৰু অতিশয় নিষ্ঠুৰভাৱে তেওঁলোকে এই আভাস চলাইছিল।

জাৰ্মাণীত যোৱা কেইমাহ ধৰি যত নৃশংস অনুষ্ঠান চলিছে, প্ৰকাশ্য ৰঙ্গমঞ্চৰ যৱনিকাৰ আঁৰে আঁৰে এতিয়াও চলিছে, তাৰ তালিকাবোৰ শুনাই লাভ নাই। অতিব্যাপকভাৱে মানুহ ধৰি নিৰ্মম প্ৰহাৰ কৰিছে, নিৰ্যাতন কৰিছে, গুলী কৰি

মাৰিছে, হত্যা কৰিছে,—মুনিহ তিৰোতা কোনেও এই আক্ৰমণৰপৰা অব্যাহতি পোৱা নাছিল। জেলত আৰু নিৰ্জন ফাটেকত বন্দী কৰি ৰখা হৈছে, শুনা গৈছে, তাত এওঁলোকৰ প্ৰতি ব্যৱহাৰো কৰা হয় বৰ বেয়া। সকলোতকৈ তীব্ৰ আক্ৰমণ চলিছে কমিউনিষ্ট সকলৰ ওপৰত। কিন্তু চছিয়েল ডেমোক্ৰেট সকল বহুতো নৰম পন্থী হৈয়ো বৰ বেছি সদ্ ব্যৱহাৰ পোৱা নাই। প্ৰকৃততে সকলো বাম পন্থাকে উচন্ন কৰাৰ অভিপ্ৰায়েই এই অভিযান চলিছিল ইহুদীসকলৰ প্ৰতি খড়্গহস্ত আছিল। শান্তিবাদী উদাৰ নৈতিক, ট্ৰেড ইউনীয়নবাদী আৰু আন্তঃৰাষ্ট্ৰীয়তাবাদী। সকলৰ ওপৰতো আক্ৰমণ চলিছিল। নাজী সকলে ঘোষণা কৰিছিল যে এই সংগ্ৰাম আছিল মাৰ্ক্সবাদ, মাৰ্ক্সবাদী লোক আৰু সমস্ত বাম পন্থীকে উচ্ছেদ কৰা সংগ্ৰাম। ইহুদী সকলৰ হাতৰ পৰা সকলো চাকৰি আৰু ব্যৱসায় কাঢ়ি লোৱা এওঁলোকৰ মৃত। হাজাৰ হাজাৰ ইহুদী অধ্যাপক, শিক্ষক, সংগীতজ্ঞ, আইনজীৱী বিচাৰক, চিকিৎসক, আৰু শুশ্ৰূষা কাৰীক দেশৰপৰা খেদি পঠোৱা হৈছে। ইহুদী দোকানী সকলৰ দোকান 'বয়কট' কৰা হৈছে। ইহুদী শ্ৰমিকসকলক কাৰখানাৰ পৰা বৰখাস্ত কৰা হৈছে। নাজীসকলৰ যিবোৰ কিতাপ মনঃপুত নহয় সেইবোৰ পুৰি পেলোৱা হৈছে। নাজী অত্যাচাৰৰ কথা কোনো বাতৰি কাকতত প্ৰকাশ কৰিব দিয়া নহয়, এই সম্বন্ধে কোনোৱে ফুচফুচাই কলেও শাস্তি দিয়া হয়।

দেশৰ সকলো সংগঠন আৰু দলা কই—অৱশ্যে নাজীসকলৰ বাহিৰে দমন কৰা হয়। প্ৰথমে কমিউনিষ্ট পাৰ্টি, তাৰ পিছত ছ চিয়েল ডেমক্ৰেটিক, কেথলিক কেন্দ্ৰীয় পাৰ্টি আৰু শেষত আনকি নাজীদলৰ মিত্ৰ জাতীয়তাবাদী দলকো দমন কৰা হয়। বহু পুৰুষ ধৰি জাৰ্মাণ শ্ৰমিকসকলৰ শ্ৰম অৰ্থ সঞ্চয় আৰু আত্মত্যাগৰ বলত গঢ়ি উঠিছিল জাৰ্মানীৰ প্ৰকাণ্ড প্ৰকাণ্ড ট্ৰেড ইউনিয়নবোৰ, সেইবোৰক ভাঙি দিয়া হৈছে, তেওঁলোকৰ সকলো টকা কড়ি আৰু সম্পত্তি বাজেয়াপ্ত কৰা হৈছে। জাৰ্মানীত আৰু কাৰো জীয়াই থকাৰ অধিকাৰ নাই, এটা মাত্ৰ দল, এটি মাত্ৰ সংগঠন, তাত জীয়াই থাকিব, যি হৈছে নাজী দল।

নাজীসকলৰ এই দৰ্শন জোৰ কৰি সকলোৱে গিলিব লগীয়া হৈছে। অত্যাচাৰৰ ভয়ত দেশৰ কোনো লোকেই মূৰ তুলি প্ৰতিবাদ কৰাৰ সাহস নকৰে। শিক্ষা অভিনয় শিল্পকলা, বিজ্ঞান, সকলোৰে গাত নাজীৰ মাৰ্কা মাৰি দিয়া হৈছে। হিটলাৰৰ অন্যতম প্ৰধান সহকৰ্মী হেৰমান গোৱেৰিংয়ে কয় "নিভাজ জাৰ্মাণসকলে চিন্তা কৰে তেওঁলোকৰ তেজেৰে।" আৰু এজন নাজী নেতাৰ উক্তি হৈছে—"বিশুদ্ধ যুক্তি আৰু অপক্ষপাতী বিজ্ঞানৰ যুগ শেষ হৈছে।" নেতাসকলক শিকোৱা হৈছে হিটলাৰ চলাৰ দ্বিতীয় খ্ৰীষ্ট কিন্তু প্ৰথম জনতকৈ বৰ্দ্ধিত। জনগণৰ মাজত বিশেষকৈ মহিলাসকলৰ মাজত শিক্ষাৰ প্ৰসাৰৰ নাজীসকল পক্ষপাতী নাছিল। প্ৰকৃততে হিটলাৰৰ মতে নাৰীৰ স্থান হৈছে ঘৰ আৰু ৰান্ধনী ঘৰত। তেওঁলোকৰ প্ৰধান কৰ্তব্য হৈছে সন্তান প্ৰসৱ কৰা, যিসকলে ৰাষ্ট্ৰৰ কাৰণে যুদ্ধৰ প্ৰাণ বিসৰ্জন দিব। ডক্টৰ জোচেফ গোৱেবলছ নাজীসকলৰ আৰু এজন ডাঙৰ নেতা আৰু 'জনশিক্ষা আৰু প্ৰচাৰৰ কাৰ্যৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী। তেওঁ কৈছিল "নাৰীৰ স্থান পৰিয়ালৰ মাজত তেওঁলোকৰ কৰ্তব্য হৈছে দেশৰ কাৰণে জাতিৰ কাৰণে সন্তান প্ৰসৱ কৰা।....নাৰীসকলৰ মুক্তি ৰাষ্ট্ৰৰ কাৰণে বিপদজনক। যি কাম পুৰুষৰ

সেইটো পুৰুষৰ হাততেই এৰি দিব লাগে।" জনসাধাৰণক দিয়াৰ প্ৰণালীতো কি সেই কথাও এই ভক্তৰ গোৱেবল্‌চে নিজেই অলপ জনাই দিছে "—মানুহে যেনেকৈ পিয়ানোৰপৰা ইচ্ছামতে সুৰ বাহিৰ কৰে, বাতৰি কাকতে তেনেদৰে মোৰ ইচ্ছামতে কাম কৰাই মোৰ অভিপ্ৰায়।"

এই বৰ্বৰতা, নৃশংসতা, জুই আৰু তন্ত্ৰ-ইয়াৰ পিছত আছিল ধনহীন, মধ্যবিত্ত শ্ৰেণীবোৰৰ অভাৱ আৰু ভোকৰ যাতনা। এইটো আচলতে আছিল এটা ৰোজগাৰ আৰু ৰুটিৰ কাৰণে যুঁজ। ইহুদী চিকিৎসক, আইনজীৱী শিক্ষক, শুশ্ৰূষাকাৰী আদিক এওঁলোকে বিতাৰিত কৰিছে, তাৰ কাৰণ এওঁলোকৰ লগত যোগ্যতাৰ ফেৰ মাৰি চলা, আৰ্যবংশোদ্ভৱ সন্তৰ জাৰ্মাণসকলৰ সাধ্যাতীত। ইহুদীসকলৰ সামান্য দেখি তেওঁলোকৰ চকু পুৰিছিল। সেয়ে ইহুদীসকলক খেদি সেই ঠাইবোৰ দখল কৰিবলৈ এওঁলোকে বিচাৰিছিল। ইহুদীসকলৰ দোকান বন্ধ কৰি দিয়া হৈছে, কাৰণ ব্যৱসায় বাণিজ্যত তেওঁলোকৰ সমান হৈ উঠা টান। ইহুদীৰ বাহিৰেও বহুতৰে দোকান নাজীসকলে বন্ধ কৰি দিছিল। দোকানৰ গৰাকীসকলক নাজী-সকলে গ্ৰেপ্তাৰ কৰে; যুক্তিহীনভাৱে বেছি দাম লৈ অত্যধিক পৰিমাণে লাভ খোৱা বুলি তেওঁলোকক সন্দেহ কৰা হৈছিল। নাজীসকলৰ সমৰ্থকৰূপে থকা খেতিয়কসকলে পূব প্ৰুচিয়াৰ ডাঙৰ জমিদাৰীবোৰৰ প্ৰতি লুভীয়া দৃষ্টি ৰাখিছিল; সেই মাটি তেওঁলোকে নিজৰ মাজত ভগাই লবলৈ বিচাৰিছিল।

নাজীসকলৰ মূল কাৰ্যসূচীৰ ভিতৰত এটি মন কৰিবলগীয়া কথা আছিল, এওঁলোকৰ প্ৰস্তাৱ আছিল, দেশৰ ভিতৰত কোনো মানুহৰ দৰমহা বছৰি ১২,০০ মাৰ্কৰ বেছি হব নোৱাৰিব। বছৰি ১২,০০০ মাৰ্ক মানে ৮,০০০ টকা বা মাহে ৬৬৬ টকা। এই প্ৰস্তাৱ কিমানদূৰ কাৰ্যকৰী কৰা হৈছে নাজানো। (চেঞ্চেলৰৰ বৰ্তমান দৰমহা হৈছে ২৬,০০০ মাৰ্ক, অৰ্থাৎ মাহে ১৪৪০ টকা)। এওঁলোকৰ প্ৰস্তাৱ হল যিবোৰ বে-চৰকাৰী কোম্পানীয়ে চৰকাৰৰ অৰ্থ সাহায্য পাইছে, তেওঁ-লোকৰ কোনো ডিৰেক্টৰ বা কৰ্মচাৰীৰ দৰমহা ১৮,০০০ মাৰ্কৰ বেছি হব নোৱাৰিব। আগৰ দিনত এইবোৰ লোকে বৰ সৰহীয়া পৰিমাণৰ দৰমহা পাইছিল। দৰিদ্ৰ দেশ ভাৰতবৰ্ষত ইয়াৰ চৰকাৰী কৰ্মচাৰীসকলে যি বিৰাট দৰমহা পায় তাৰ লগত এইবোৰ অঙ্কৰ তুলনা কৰি চোৱা। কৰাচী অধিবেশনত কংগ্ৰেছে প্ৰস্তাৱ কৰিলে ভাৰতবৰ্ষত দৰমহাৰ সৰ্বোচ্চ সীমা মাহে ৫০০ টকা বুলি ধাৰ্য কৰা হওক।

বৰ্বৰতা আৰু সন্ত্ৰাসৰ প্ৰাধান্য থকা সত্বেও নাজী আন্দোলনৰ মাজত অকল সেয়ে আছিল বুলি নেভাবিবা। সৰহ সংখ্যক বনুৱাৰ বাদে বহুতো জাৰ্মাণে হিট-লাৰৰ প্ৰতি নিঃসন্দেহে আন্তৰিকভাৱে উৎসাহ দেখুৱাইছিল। চানেকি স্বৰূপে যোৱা নিৰ্বাচনৰ হিচাপলৈ যদি লক্ষ্য কৰা হয়, তেন্তে দেখা যাব যে শতকৰা ৫২ ভাগ লোকে তেওঁক সমৰ্থন কৰিছে। এই শত ৫২ ভাগ লোকে অৱশিষ্ট শতকৰা ৪৮ ভাগ লোকক বা তেওঁলোকৰ এটা ভাগৰ ওপৰত সন্ত্ৰাসৰ সৃষ্টি কৰে। শতকৰা ৫২ ভাগ বা তাৰ বেছি লোকৰ সমৰ্থনত হিটলাৰে এতিয়া বৰ জনপ্ৰিয় জাৰ্মাণীলৈ যোৱা মানুহে তাত এটা অদ্ভুত মানসিক পৰিৱেশ কৰাৰ কথা কয় জাৰ্মাণসকলে ভাবে যে ভাৰ্ছাইচসন্ধিয়ে সুদীৰ্ঘ কালৰ বাবে জাপি দিয়া অপমান দৰমৰ অন্ত পৰিল আৰু তেওঁলোকে আকৌ মুকলিমূৰীয়াভাৱে থাকিবলৈ পাইছে।

কিন্তু জাৰ্মানীৰ বাকীভাগ লোকে সুকীয়া ধাৰণা কৰে। জাৰ্মান বনুৱা শ্ৰেণীৰ নাজীসকলৰ প্ৰতি উৎকট ঘৃণা আৰু ক্ৰোধৰ ভাব আছে, ভয়ানক প্ৰতিশোধৰ সন্মুখীন হোৱাৰ ভয়ত সেয়ে গোপন বা নিয়ন্ত্ৰিত হৈ থাকে। শক্তি আৰু সন্ত্ৰাসৰ ওচৰত তেওঁলোকে সম্পূৰ্ণভাৱে আত্মসমৰ্পণ কৰিলে, তেওঁলোকৰ অসীম শ্ৰম আৰু ত্যাগৰ যোগেদি যিবিলাক গঢ়ি তুলিছিল সেই সকলোবিলাক ধ্বংস হোৱা দেখি-বলৈ পাই তেওঁলোক দুঃখিত আৰু নিৰাশ হয়। যোৱা কেইমাহমানৰ ভিতৰত জাৰ্মানীত যি ঘটিছে তাৰ ভিতৰত সমূলি বাধাৰ সন্মুখীন নোহোৱাকৈ চোচিয়েল ডেমক্ৰেটিক পাৰ্টিৰ দৰে ডাঙৰ দল এটা সম্পূৰ্ণ ৰূপে ভাগি যোৱাটো অকণো আচৰিত হবলগীয়া কথা নহয়। যুৰোপত বনুৱা শ্ৰেণীৰ সংগঠনৰ ভিতৰত এইটোৱেই আটাইতকৈ পুৰণি, ডাঙৰ আৰু সুসংগঠিত দল আছিল। দ্বিতীয় ইণ্টাৰ নেচনেলৰ ইয়েই থাই খুটা স্বৰূপে আছিল। তথাপি প্ৰায় একো প্ৰতিবাদ নোহোৱাকৈ এই দলটোৱে নীৰৱে আত্মসমৰ্পণ কৰিলে আৰু শেষত নিঃশেষ হৈ গল; অৱশ্যে অকল প্ৰতিবাদ জনোৱানপৰা একো লাভ নহলহেঁতেন। চোচিয়েল ডেমক্ৰেটিক নেতাসকলে ক্ৰমে ক্ৰমে নাজীসকলৰ ওচৰত আত্মসমৰ্পণ কৰিলে; তেওঁলোকে ভাবিছিল যে আত্মসমৰ্পণ কৰি আৰু অপমান সহ কৰি লৈ হলেও তেওঁলোকে হয়তো নিজক কিছু পৰিমাণে ৰক্ষা কৰিব পাৰিব। কিন্তু তেওঁ-লোকৰ আত্মসমৰ্পণকে তেওঁলোকৰ বিৰুদ্ধে অস্ত্ৰৰূপে ব্যৱহাৰ কৰা হল; সংকটৰ সময়ত তেওঁলোকৰ নেতৃবৰ্গই তেওঁলোকক কোনেকৈ বিসৰ্জন দিছে সেই কথা নাজীসকলে বনুৱাসকলৰ আগত আঙুলিয়াই দিলে। যুৰোপৰ বনুৱা শ্ৰেণীৰ সুদীৰ্ঘ সংগ্ৰামৰ কালছোৱাত কেতিয়াবা জয় হৈছে আৰু বহুত ক্ষেত্ৰত পৰাজয় ঘটিছে। কিন্তু সমূলি বাধা নিদিয়াকৈ এনেদৰে কেতিয়াও অপমানজনকভাৱে আত্মসমৰ্পণ কৰা হোৱা নাই আৰু বনুৱাসকলৰ স্বাৰ্থৰ প্ৰতি বিশ্বাসঘাতকতা কৰা হোৱা নাই। কমিউনিষ্ট পাৰ্টিয়ে প্ৰতিৰোধ জনাবলৈ চেষ্টা কৰিছিল আৰু সাধাৰণ ধৰ্মঘটৰ বাবে আহ্বান জনাইছিল।

চোচিয়েল ডেমক্ৰেটিক নেতাসকলে তেওঁলোকক সমৰ্থন নকৰিলে আৰু ধৰ্মঘট বিফল হ'ল। বনুৱা আন্দোলন ভাগি গ'ল যদিও গুপ্ত সংগঠনৰ যোগেদি কাম চলাই থকা হ'ল—এনে সংগঠন ব্যাপক যেন দেখা যায়। নাজী চোৰাংচোৱা থাকোঁতা থকা সত্বেও গুপ্তভাৱে প্ৰকাশ কৰা বাতৰি কাকত লাখে লাখে প্ৰচাৰিত হয় বুলি ধাৰণা হয়। জাৰ্মানীৰপৰা পলাই যোৱা চোচিয়েল ডেমক্ৰেটিক নেতা কেইজন-মানেও গোপন পদ্ধতিৰে বাহিৰৰপৰা প্ৰচাৰ চলাই আহিবলৈ চেষ্টা কৰিছে।

নাজী আতঙ্কৰ সকলোতকৈ বেছি আঘাত পৰিছিল, শ্ৰমিক শ্ৰেণীৰ ওপৰত। পৃথিৱীত কিন্তু বেছি চাঞ্চল্য সৃষ্টি কৰিছিল ইহুদীসকলৰ প্ৰতি এওঁলোকৰ জঘন্য অত্যাচাৰে। শ্ৰেণীসমূহৰ ভিতৰত সংগ্ৰাম যুৰোপে বহুত দেখিছে, তেওঁলোকৰ সহানুভূতিও সকলো শ্ৰেণীৰ ভিত্তিতে আগবঢ়োৱা হয়। কিন্তু ইহুদীসকলৰ ওপৰত যি আক্ৰমণ হ'ল সেইটো জাতিগত আক্ৰমণ। মধ্যযুগত যেনেদৰে হৈছিল, বা জাৰৰ শাসিত ৰুচিয়াৰ দৰে অনুন্নত দেশত বে-চৰকাৰীভাৱে অলপদিন আগতে যি ঘটিছিল এইটো তাৰেই অনুৰূপ ঘটনা। চৰকাৰীভাৱে এটা সমগ্ৰ জাতিৰ ওপৰত এইভাৱে আক্ৰমণ চলোৱা দেখি যুৰোপ আৰু আমেৰিকাৰ জনসাধাৰণ

বিস্ময়ত স্তম্ভিত হৈ গ'ল। সেই বিস্ময় আৰু বেছি হল—এটি কথাত জাৰ্মাণীৰ এই ইহুদীসকলৰ ভিতৰত কেইজনমান জগৎ বিখ্যাত লোকো আছিল,—ডাঙৰ ডাঙৰ বৈজ্ঞানিক, চিকিৎসক, আইনজীৱী সঙ্গীতজ্ঞ আৰু লেখক,—এওঁলোকৰ ভিতৰত সকলোতকৈ প্ৰসিদ্ধ হৈছে এলবাৰ্ট আইনষ্টাইন। জাৰ্মাণীক এওঁলোকে নিজৰ দেশ বুলি ভাবিছিল, পৃথিবীত এওঁলোকক জাৰ্মাণীৰ বুলিয়েই জানিছিল। এইবোৰ লোকক নিজৰ দেশত পালে যিকোনো দেশেই ধন্য মানিলেহেঁতেন, কিন্তু নাজীসকলে তেওঁলোকৰ উন্মত্ত জাতিগত বিদ্বেষৰ ফলত এওঁলোকক অত্যাচাৰ কৰি দেশৰ পৰা বাহিৰ কৰি দিলে। এই অত্যাচাৰৰ বিৰুদ্ধে গোটেই পৃথিবীতে এটি প্ৰতিবাদ উঠিল। তাৰ পিছত নাজীসকলে ইহুদীবোৰৰ দোকান আৰু ইহুদী ব্যৱসায়ীসকলক বৰ্জ্জন কৰিবলৈ স্থিৰ কৰিলে। অথচ আচৰিত কথা যে এই ইহুদীবোৰক জাৰ্ম্মাণী এৰি যোৱাৰ অনুমতি তেওঁলোকে একোতেই নিদিলে। এই জাতিৰ একমাত্ৰ ফল হব পাৰে এওঁলোকক শুকাই মৰিবলৈ দিয়া। পৃথিৱী-জুৰি হোৱা প্ৰতিবাদৰ ফলত এতিয়া নাজীসকলে ইহুদীসকলৰ সম্বন্ধে তেওঁলোকৰ প্ৰকাশ্য কাৰ্যকলাপৰ তীব্ৰতা বহুদূৰ হ্ৰাস কৰিলে, কিন্তু তেওঁলোকৰ ইহুদী নিৰ্য্যাতনৰ নীতিৰ এতিয়াও কোনো পৰিবৰ্ত্তন নহল।

ইহুদী জাতি পৃথিৱীৰ ইমূৰ সিমূৰ জুৰি বিয়পি আছে। কোনো বিশেষ দেশক নিজৰ দেশ বুলি এওঁলোকে কব নোৱাৰে। কিন্তু সেই বুলি এনে অসহায়ো নহয় যে নাজীসকলৰ এই আচৰণৰ ওলোটা প্ৰত্যুত্তৰ এওঁলোকে দিব নোৱাৰিব। পৃথিৱীৰ ব্যৱসায় বাণিজ্য আৰু টকা-কড়িৰ বহুখিনি এওঁলোকৰ হাতত। অতি শান্তভাৱে কোনো হৈ চৈ নকৰাকৈ এওঁলোকে জাৰ্মানসকলৰ বস্তু বৰ্জনৰ সিদ্ধান্ত কৰিছে। কেৱল বস্তু বৰ্জনেই নহয়' তাতকৈও বহুত বেছি কৰিলে। ১৯৩৩ চনৰ মে মাহত নিউইয়ৰ্কত অনুষ্ঠিত এখন সন্মিলনত এওঁলোকে যি প্ৰস্তাব গ্ৰহণ কৰিছে, তাৰপৰাই ইয়াৰ প্ৰমাণ পোৱা যায়। এই প্ৰস্তাৱটো হৈছে, "জাৰ্মাণত বা তাৰ কোনো অংশত নিৰ্ম্মিত, উৎপন্ন বা সংশোধিত সকলো প্ৰকাৰৰ বস্তু, কেঁচামাল, বা উৎপন্ন বস্তু বৰ্জন কৰিব লাগিব, জাৰ্মাণীৰ সকলো জাহাজ, মাল বহন বা যাত্ৰী বহনৰ ব্যৱস্থা বৰ্জ্জন কৰিব লাগিব, জাৰ্মাণীৰ সকলো স্বাস্থ্যনিবাস, খেলাৰ কেন্দ্ৰ বা আন ধৰণৰ যিমান আশ্ৰয়স্থান আছে সকলোকেই বৰ্জন কৰিব লাগিব। যিকোনো কামৰপৰা বৰ্তমান জাৰ্মাণ ৰাষ্ট্ৰৰ কোনো প্ৰকাৰ শ্ৰীবৃদ্ধি বা লাভ হোৱাৰ সম্ভাৱনা আছে, সেই সকলোৰে পৰাই আমি বিৰত থাকিব লাগিব।"

হিটলাৰ নীতিৰ যিবোৰ প্ৰতিক্ৰিয়া জাৰ্মাণৰ বাহিৰত দেখা দিছে, ই তাৰ এটা উদাহৰণ মাত্ৰ। ইয়াৰ বাহিৰেও বহুতো প্ৰতিক্ৰিয়া হৈছে। নাজীসকলে আৰম্ভৰপৰাই ভাৰ্চাইলচ সন্ধিক নিন্দা কৰি আহিছে, কৈছে তাক নতুন কৰি ৰচনা কৰা হওক। বিশেষকৈ জাৰ্মাণীৰ পূব সীমান্ত সম্বন্ধে। তাত এটা অদ্ভুত কথা সৃষ্টি কৰা হৈছে, ডানজিগলৈকে এটি পোলিচ কৰিডৰ তৈয়াৰ কৰি। তাৰ ফলত জাৰ্মানৰ এটি অংশ বাকী অংশৰপৰা বিচ্ছিন্ন হৈ পৰিছে। অক্ৰসজ্জাত আনৰ সমান অধিকাৰ দাবী কৰিও তেওঁলোকে উচ্চস্বৰে চিঞৰিছে। (তোমাৰ নিশ্চয় মনত আছে, সন্ধিপত্ৰৰ চৰ্ত অনুযায়ী, জাৰ্ম্মানীক বহুখিনি নিৰস্ত্ৰ কৰি দিয়া হৈছিল)। হিটলাৰৰ নিনাদৰ বক্তৃতা শুনি আৰু জাৰ্মানক আকৌ অক্ৰসজ্জাত

সজ্জিত কৰি তোলাৰ ভাবুকি শুনি য়ুৰোপ একেবাৰে থৰথৰে কঁপিবলৈ লাগিছে। বিশেষকৈ ফ্ৰান্সৰ ভয় হল, কাৰণ জাৰ্মাণীৰ শক্তি বাঢ়িলে, ইয়াৰেই ভয় সকলোতকৈ বেচি। এনে হলে যেন য়ুৰোপত যুদ্ধ হব। তাৰ পিছত নাৎসীসকলৰ এই ভয়ৰ হেচাতেই য়ুৰোপৰ দেশসমূহে এটি নতুন গোট গঢ়ি তুলিলে; ফ্ৰান্সে হঠাতে চোভিয়েট ৰুচিয়াৰ প্ৰতি এটি অতিশয় বন্ধুভাৱ পোষণ কৰিলে। ভাৰ্চাইলচ সন্ধিৰ ফলত যিবোৰ নতুন ৰাজ্য সৃষ্টি হৈছিল, আৰু যিবোৰ ৰাজ্যৰ কিছু লাভ হৈছিল, সেই সন্ধি আকৌ ওলোটাই দিয়া হব বুলি ভয় কৰি এইবাৰ সকলোৱেই মানে পোলেণ্ড, জেকোশ্লভিয়া, যুগোশ্লাভীয়া, ৰুমেনীয়া, আদি একত্ৰিত হল। লগে লগে ৰুচিয়াৰ লগতো অলপ ঘনিষ্ঠ হৈ উঠিল। অষ্ট্ৰীয়াত এটা আচৰিত অৱস্থাৰ সৃষ্টি হল। তাত ইয়াৰ আগৰপৰাই এজন ফেচিষ্ট চেঞ্চেলাৰে প্ৰভুত্ব কৰিছিল, তেওঁৰ নাম ডলফাচ। কিন্তু এওঁ যি ফেচিজিমৰপৰা। জাত সি হিটলাৰতকৈ বেলেগ।

অষ্ট্ৰীয়াত নাজীসকলৰ বৰ প্ৰতাপ, কিন্তু ডলফচ তেওঁলোকৰ বিৰোধী। হিটলাৰৰ ভয়ত ইটালীৰ উন্নতিও হল, কিন্তু হিটলাৰৰ সকলো অভিপ্ৰায়কে ই ভাল বুলি ভাবিব নোৱাৰিলে। ইংলেণ্ড বহুবছৰ ধৰি জাৰ্মাণীৰ আছিল, হঠাৎ সেই দেশৰ জনসাধাৰণৰ জাৰ্মাণ বিৰোধী হৈ উঠিল, তেওঁলোকে আকৌ 'হুন' বুলি উল্লেখ কৰিবলৈ ললে। হিটলাৰে জাৰ্মাণ য়ুৰোপত একেবাৰে নিঃসঙ্গ হৈ পৰিল। জাৰ্মাণী অস্ত্ৰহীন, আৰু ফ্ৰান্সৰ সৈন্যবল বৰ বেচি, সকলোৱেই বুজিলে তেতিয়া যদি যুদ্ধ হয় তেন্তে ফ্ৰান্সৰ আঘাতত জাৰ্মাণী একেবাৰে ধূলিসাৎ হৈ যাব। হিটলাৰে সেয়ে নিজৰ কৌশল সলনি কৰিলে। শান্তি স্থাপন আৰম্ভ কৰিলে। তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহিল মুচলিনী, তেওঁ আহি প্ৰস্তাৱ কৰিলে, ফ্ৰান্স, ইংলেণ্ড জাৰ্মাণী আৰু ইটালীৰ মাজত এটা শান্তিৰ চুক্তি হওক।

শেষত ১৯৩৩ চনৰ জুন মাহত চাৰিটা জাতিয়ে ৰ্বিল এই চুক্তি পত্ৰত চহী কৰিলে। ফ্ৰান্সে কিন্তু এইটো কৰাৰ আগতে বৰ ইতস্ততঃ কৰিছিল। ডাঙৰ ফালৰপৰা চুক্তি পত্ৰখন বৰ নিৰীহ প্ৰকৃতিৰ। ইয়াত কেৱল হৈছে কেইটামান আন্তৰ্জাতিক বিষয়ত, বিশেষকৈ ভাৰ্চাইলচ সন্ধি পৰিৱৰ্ত্তন কৰাৰ কোনো প্ৰস্তাৱ যদি উঠে তেন্তে সেই সম্বন্ধে এই চাৰিখন দেশে পৰস্পৰৰ ভিতৰত আলোচনা কৰি কাম কৰিব। কিন্তু বহুতে আকৌ এই চুক্তিটোক চাইছিল, এটা চোভিয়েট বিৰোধী গোট গঢ়াৰ চেষ্টা স্বৰূপে। ফ্ৰান্সে বৰ অনিচ্ছাৰে ইয়াত চহী কৰিছিল বুলি মনে ধৰে। ১৯৩৩ চনৰ ১ জুলাই তাৰিখে লণ্ডনত চোভিয়েট আৰু তেওঁলোকৰ প্ৰতিবেশীসকলৰ মাজত যি অনাক্ৰমণ চুক্তি স্বাক্ষৰিত হৈছে, সেইটো হয়তো এই চুক্তিৰেই ফল বা উত্তৰ। এই চোভিয়েট চুক্তিৰ প্ৰতি ফ্ৰান্সে প্ৰবল সহানুভূতি আৰু সন্মতি জ্ঞাপন কৰিছে। এইটো মন কৰিব লগা বিষয়।

ইয়াৰ মূল কাৰ্যসূচী হল জাৰ্মাণ—পুঁজিবাদৰো সেয়ে কাৰ্যসূচী—নিজকে চোভিয়েট ৰুচিয়াৰ বিৰুদ্ধে য়ুৰোপৰ এককৰ্তা বুলি ঘোষণা কৰা। জাৰ্মাণীয়ে যদি আৰু বেচি ঠাই দখল কৰিবলগীয়া হয় তেন্তে সেই ঠাই পোৱাৰ একমাত্ৰ মূল হৈছে ইয়াৰ পুবফালে চোভিয়েট ইউনিয়নৰ গা ঠেলি। কিন্তু সেইটো কৰিব লাগিলে

জাৰ্মাণীক অস্ত্রে শস্ত্রে সুসজ্জিত কৰি তুলিব লাগিব। এই কাৰণেই এতিয়া ভাৰ্চাইলচ সন্ধিৰ সাল-সলনি কৰি ইয়াৰ ব্যৱস্থা কৰি লোৱা আৱশ্যক হৈছে নাইবা কোনেও হস্তক্ষেপ নকৰিব বুলি আশ্বাস এটা আদায় কৰি লব লাগিব। হিটলাৰৰ ভৰসা হৈছে ইটালী তেওঁৰ ফালে থাকিব। এতিয়া যদি ইংলেণ্ডক নিজৰ ফলীয়া কৰি লোৱা হয় তেন্তে চাৰিশক্তিত চুক্তিৰ বৰ্গোৱা কোনো কালৰ আলোচনা ফ্রান্সৰ বিৰুদ্ধে গলেও সেই বিৰোধিতাক সহজেই পাৰ হব পৰা যাব— এইটোৰেই বোধহয় হিটলাৰৰ মনৰ আশা।

এই কাৰণেই হিটলাৰে বৃটেনৰ সমৰ্থন সঘনে চেষ্টা কৰিছে। বৃটেনক প্ৰসন্ন কৰিবলৈ গৈ তেওঁ প্ৰকাশ্যে ভাৱে এনে দৰে কৈছে যে ভাৰতবৰ্ষৰ ওপৰত বৃটেনৰ প্ৰতিপত্তি যদি কমি যায় এইটো বৰ বেয়া কথা হব। হিটলাৰ চোভি-য়েটৰ বিৰোধী। এইটোৰেই বৃটিছ চৰকাৰৰ পক্ষে প্ৰবল আকৰ্ষণৰ বস্তু; কাৰণ তোমাক কৈছো বৃটিছ সাম্ৰাজ্যবাদী সকলে চোভিয়েট ৰুচিয়াক যিমান অপছন্দ কৰে আন কাকো নকৰে। কিন্তু নাজী সকলৰ কীৰ্ত্তি কাণ্ড দেখি বৃটেনৰ লোক সকলে ইমান বিৰক্ত হৈছে যে হিটলাৰ অস্ত্ৰৰ সমৰ্থনত কোনো প্ৰস্তাৱ মানি লবলৈ তেওঁলোক একোতেই সহজে মান্তি নহয়।

এতিয়া কথা হল জাৰ্মাণীৰ নিজৰ ভিতৰুৱা অৱস্থা কি হব? এই নাজী ৰাজত্ব জানো টিকি থাকিব। জাৰ্মাণীৰ ভিতৰত নাজী সকলৰ প্ৰতি বিদ্বেষ আৰু বিৰোধিতাৰ অভাৱ নাই। কিন্তু এইটো কথা ঠিক যে সংঘবদ্ধ বিৰোধী পক্ষ্য যি আছিল সকলোকে এওঁ লোকে ধ্বংস কৰিছে। জাৰ্মাণীত এতিয়া আৰু কোনো দল বা সংগঠনৰ অস্তিত্ব নাই— নাজীসকলেই তাত সৰ্বে সৰ্বা। নাজীসকলৰ মাজতে দুটা দল থকা যেন দেখা যায়—পুঁজিবাদী আৰু ব্যৱসায়ী সম্প্ৰদায়ক লৈ সোঁপন্থী দল এটা; দলৰ সংখ্যা গৰিষ্ঠ সৰ্বসাধাৰণৰ সদস্য আৰু অলপতে তেওঁলোকৰ লগলগা বনুৱাসকলক লৈ বাওপন্থী দল এটা। হিটলাৰৰ আন্দোলনক বিপ্লৱী প্ৰেৰণা দিয়া লোকসকলৰ পুঁজিবাদ বিৰোধী আমূল সংস্কাৰৰ ভাৱ এটা আছিল। পিচলৈ তেওঁলোকে বহুতো চছিয়েলিষ্টক আৰু মাৰ্ক্সবাদীকো সামৰি লৈছিল। নাজী আন্দোলনৰ সোঁপন্থী আৰু বাওঁপন্থীৰ মাজত সাদৃশ্য প্ৰায় নাছিলেই। এই দুয়োটা ভাগকে এক কৰি ৰখা আৰু ইটোৰ বিৰুদ্ধে সিটোক লগোৱাটোৰেই আছিল হিটলাৰৰ ডাঙৰ সফলতা। সমুখত উমৈহতীয়া শক্ৰ থকালৈকে তাকে কৰিব পৰা হৈছিল। এতিয়া শক্ৰক নিৰ্মূল কৰা বা নিজৰ মাজত জাহ নিওঁৱাৰ মূৰত সোঁপন্থী আৰু বাওঁপন্থীৰ মাজৰ বিবাদ বাঢ়ি যোৱাটো স্বাভাৱিক কথা।

ইতিমধ্যে গোজৰণি উঠিছে। বাওঁপন্থী নাজী সকলে দাবী কৰিলে যে প্ৰথম বিপ্লৱ সফলতাৰে শেষ হল—এতিয়া পুঁজিবাদ, জমিদাৰী প্ৰথা আদিৰ বিৰুদ্ধে দ্বিতীয় বিপ্লৱ আৰম্ভ কৰিব লাগে। কিন্তু এই "দ্বিতীয় বিপ্লৱ" কঠোৰভাৱে দমন কৰিব বুলি হিটলাৰে ভাবুকি দিলে। এইদৰে তেওঁ সোঁপন্থী পুঁজিবাদী সকলৰ লগত স্পষ্ট ভাৱে হাত মিলালে। তেওঁৰ সৰহ ভাগ প্ৰধান সহকাৰী লোক এতিয়া ডাঙৰ ডাঙৰ কামত আছে; আৰামত থাকিবলৈ পাই, তেওঁলোকে এতিয়া পৰিৱৰ্তন ঘটাবলৈ আগ্ৰহ দেখুৱা নাই।

হিটলাৰতন্ত্ৰৰ এই কাহিনী বৰ দীঘলীয়া হৈ গল। কিন্তু এই কথা অৱশ্যে স্বীকাৰ কৰিব। নাজীসকলৰ এই জয়লাভ আৰু তাৰ পিছৰ ঘটনাবোৰ ইউৰোপৰ তথা গোটেই পৃথিৱীৰ পক্ষে বৰ ডাঙৰ ঘটনা আৰু ইয়াৰ ফলত বহুদূৰ ক্ষতি হোৱাৰ সম্ভৱ। ই ফেচিজিম তাত সন্দেহ নাই। হিটলাৰে নিজেও এজন নিষ্ঠাৱান ফেচিষ্ট। কিন্তু ইটালীৰ ফেচিজিমৰ তুলনাত নাজীসকলৰ এই আন্দোলন বেছি ডাঙৰ, বেছি ব্যাপক, আৰু বেছি উগ্ৰ। ইয়াৰ এই উগ্ৰপন্থীসকলে ইয়াৰ ৰূপ সলনি কৰিব পাৰিব নে নিজেই ধ্বংস হৈ যাব সেইটো এতিয়াও ভৱিষ্যতৰ কথা।

মাৰ্ক্সৰ গোড়া মতবাদত যিসকল বিশ্বাসী নাজী আন্দোলনৰ এই প্ৰতিষ্ঠা লাভ দেখি তেওঁলোকে স্তম্ভিত হৈ গৈছে। গোড়া মাৰ্ক্সবাদী সকলে চিৰদিন বিশ্বাস কৰি আহিছে একমাত্ৰ প্ৰকৃত বিপ্লৱী শ্ৰেণী হৈছে শ্ৰমিক শ্ৰেণী, অৰ্থনৈতিক অৱস্থাৰ অৱনতি ঘটাৰ লগে লগে এওঁলোকে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ অসন্তুষ্ট আৰু সৰ্বহাৰা লোকসকলক নিজৰ দললৈ টানি লব আৰু শেষত এটা শ্ৰমিক বিপ্লৱ ঘটাব। কিন্তু জাৰ্মাণীত যি ঘটিছে সি একেবাৰে ওলোটা। সংকট ঘোৰতৰ আছিল তেতিয়া শ্ৰমিক সকলৰ মাজত বিপ্লৱৰ কোনো চেতনাই নাছিল। প্ৰধানতে সৰ্বহাৰা নিম্ন মধ্যবিত্ত শ্ৰেণীসকলৰ মাজৰপৰা আৰু আন আন অসন্তুষ্ট লোকসকলৰ মাজৰপৰা মানুহ লৈ নতুন এটা বিপ্লৱী শ্ৰেণী গঢ়ি তোলা হল। সাম্যবাদৰ লগত ই খাপ নাখায়। কিন্তু আন আন মাৰ্ক্সবাদী সকলে কয় সাম্যবাদক এটা আকোঁৰগোজ বিশ্বাস বা ধৰ্ম বা ধৰ্মমত অথবা ধৰ্মৰ দৰে সিও নিৰ্ভুল ভাষাত প্ৰকৃত সত্য কথা ই কৈ গৈছে, এনে ধাৰণা কৰিলে নহব। মাৰ্ক্সবাদ এটা ইতিহাসৰ দৰ্শন। ই কেৱল ইতিহাসক বিশ্লেষণ কৰি চোৱাৰ এটা বিশেষ পন্থা- যাৰদ্বাৰা ইতিহাসৰ খৰ-খিনি তত্ব বুজা যায়। তাৰ বিভিন্ন ঘটনাৰ মাজত যোগসূত্ৰ ধৰা পৰে। মাৰ্ক্সবাদ এটা কৰ্মনীতি, ইয়াৰে সমাজতন্ত্ৰ বা সমাজত সাম্য প্ৰতিষ্ঠা কৰা যায়। বিভিন্ন সময়ত বিভিন্ন দেশত অৱস্থান বহুতো পৰিবৰ্তন ঘটে মাৰ্ক্সবাদৰ মূল সূত্ৰবোৰক সেই অৱস্থাৰ বৈচিত্ৰ্য অনুসৰি বিচিত্ৰৰূপেৰে প্ৰয়োগ কৰি চাব লাগিব।

টোকা (নবেম্বৰ ১৯৩৮)

পাঁচবছৰ ছয়মাহ আগতে ওপৰৰ চিঠিখন লেখা হৈছিল। এই সময়ৰ ভিতৰত হিটলাৰৰ নেতৃত্বাধীন নাজী জাৰ্মাণীৰ বিপুল ক্ষমতা আৰু প্ৰতিপত্তি লাভ বিশ্ব-ৰাজনীতিৰ ক্ষেত্ৰত এটা বিশেষ উল্লেখযোগ্য ঘটনা। বৰ্ত্তমান ইউৰোপত হিটলাৰৰ প্ৰবল প্ৰতাপ আৰু ডাঙৰ ডাঙৰ শক্তিসমূহ (অথবা ইয়াৰ আগতে যিবোৰ ডাঙৰ আছিল) ইয়াৰ ওচৰত মূৰ দোৱাই আৰু ইয়াৰ ভাবুকিৰ ভয়ত কঁপি থাকে। বিশ বছৰ আগতে জাৰ্মাণী পৰাজিত, লাঞ্ছিত, আৰু বিধ্বস্ত হৈছিল, কিন্তু এতিয়া কোনো যুদ্ধ কৰি জয়লাভ নকৰাকৈ হিটলাৰে জাৰ্মাণসকলক বিজয়ী জাতিত পৰিণত কৰিছে আৰু ভাৰ্চাইনচৰ সন্ধি পত্ৰক ফটা তুলাপাতৰ ধুলি ধাৰণা কৰা হৈছে। ক্ষমতা পোৱাৰ পিছত হিটলাৰৰ প্ৰথম কাম হল, জাৰ্মাণীত তেওঁৰ বিৰোধী দলক আৰু নাজীদলৰ শক্তিক সুসংহত কৰা। জাৰ্মাণীক সম্পূৰ্ণ "নাজীৰাজ্যত" পৰিণত কৰাৰ পিছত নাজীদলৰ ভিতৰত বামপন্থী মনোভাবৰ মূলোৎপাদন কৰিবৰ সিদ্ধান্ত কৰিলে, যিহেতু এনে ধৰণৰ মনোভাবাপন্ন নাজীসকলে পুঁজিবাদৰ বিৰুদ্ধে এটি

দ্বিতীয় বিপ্লৱৰ প্ৰত্যাশা কৰিছিল। মুগাবৰণীয়া সাজপিন্ধা স্বেচ্ছাসেৱকৰ দল (Brown Shirts) ভাঙি দিয়া হল আৰু তেওঁলোকৰ নেতৃস্থানীয় লোকসকলক ১৯৩৪ চনৰ ৩০ জুন তাৰিখে গুলী কৰি মৰা হল, আৰু বহুতক হত্যাকৰা হল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য আছিল জেনেৰেল ভলন শ্লিচাৰ ; তেওঁ এসময়ত চেন্সেলৰ আছিল।

১৯৩৪ চনৰ আগষ্ট মাহত প্ৰেচিডেণ্ট ভনল হিণ্ডেনবাৰ্গৰ মৃত্যু হল, আৰু চেন্সেলৰ প্ৰেচিডেণ্ট ৰূপে হিটলাৰে ঠাই পূৰণ কৰিলে। জাৰ্মানীত তেতিয়া তেওঁ সৰ্বশক্তিমান ফুয়েৰৰ (The Fuehre) অৰ্থাৎ জাৰ্মানী জাতিৰ অধিনায়ক হল। জনসাধাৰণৰ মাজত যথেষ্ট অভাৱ অনাটনে দেখা দিলে। এই দুখ দুৰ্দশা দূৰ কৰিবলৈ ব্যক্তিগত দান দক্ষিণাৰ ব্যৱস্থা কৰা হ'ল। বাধ্যতামূলক শ্ৰমিক শিবিৰ প্ৰতিষ্ঠা কৰি তাত নিবনুৱা লোক সকলক কাম কৰিবৰ কাৰণে দিয়া হল। বহুতো ইহুদীক জোৰ কৰি আঁতৰাই তাৰ ঠাইত জাৰ্মাণ লোকক বহুৱা হল। জাৰ্মাণীৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি নহল, বৰং ই বেয়াৰ ফালেহে ঢাল খালে। কিন্তু কামৰ অভাৱত মানুহ নিবনুৱা হৈ থকাটো আচৰিত। লগতে গুপুতভাৱে পুনৰ অস্ত্ৰসজ্জা চলিবলৈ ধৰিলে। ফলত জাৰ্মাণ ভীতি বাঢ়ি গ'ল।

১৯৩৫ চনৰ প্ৰথম ভাগত ছাৰ উপত্যকাত জনমত গ্ৰহণ কৰাৰ ফলত দেখা গল যে তাৰ বৰ বেছি সংখ্যকলোকৰ অভিমত তেওঁলোকে জাৰ্মাণীৰ লগত পুনৰায় মিলিবলৈ বিচাৰে, আৰু সেই অঞ্চলক জাৰ্মাণীৰ লগত সংযুক্ত কৰা হল। এই বছৰেৰে যে মাহত হিটলাৰে প্ৰকাশ্যভাৱে ভাৰ্চাইলচৰ সন্ধিপত্ৰৰ নিৰস্ত্ৰীকৰণৰ উপধাৰাবোৰ নাকচ কৰিলে, আৰু সামৰিক শিক্ষা আৰু চাকৰি গ্ৰহণ বাধ্যতামূলক বুলি ঘোষণা কৰিলে। পুন অস্ত্ৰীয়কৰণৰ কাৰণে এটি বিৰাট আঁচনি গ্ৰহণ কৰা হল। লীগৰ অন্তৰ্ভুক্ত শক্তিবৰ্গৰ ভিতৰত কোনেও একো নকৰিলে, ভয়ত তেওঁলোকে সকলোৰে বিশেষকৈ ফ্ৰান্স অভিভূত হৈ পৰিল। ফ্ৰান্স আলাপ আলোচনাৰে চোভিয়েট ৰুচিয়াৰ লগত মিত্ৰতা সূচক চুক্তিত আবদ্ধ হল। বৃটিছ চৰকাৰে নাজী জাৰ্মাণীৰ পক্ষ অৱলম্বন কৰাকেই বেছি ভাল বুলি ভাবিলে আৰু ১৯৩৫ চনৰ জুন মাহত ইয়াৰ লখত এখন নৌ চুক্তিত আবদ্ধ হল।

ইয়াৰ ফল আচৰিত ধৰণৰ হল। ইংলেণ্ডে ফ্ৰান্সৰ পক্ষ এৰি যোৱা বুলি ভাবি ফ্ৰান্সে ইটালীৰ লগত মিত্ৰতাৰ কাৰণে প্ৰস্তাৱ কৰিলে, আৰু মুচলিনীয়ে উপযুক্ত সুযোগ মিলিছে বুলি ভাবি, আবিচিনীয়া অভিযান আৰম্ভ কৰি দিলে।

১৯৩৮ চনৰ মাৰ্চ মাহত হিটলাৰ অষ্ট্ৰীয়াত সৈন্যদল লৈ সোমাই পৰিল, আৰু জাৰ্মাণীৰ লগত মিলন ঘটোৱা বুলি ঘোষণা কৰিলে। লীগৰ শক্তি বৰ্গই পুনৰায় মূৰ দোৱালে। অষ্ট্ৰীয়াত নাজীদলে ইহুদীসকলৰ বিৰুদ্ধে অতি নিষ্ঠুৰ আৰু মাৰাত্মক ধৰণৰ আন্দোলন আৰম্ভ কৰি দিলে।

তাৰ পিছত নাজী আক্ৰমণৰ লক্ষ্য হল চেকোশ্লাভেকিয়া আৰু চুডেতান। জাৰ্মানী সকলৰ সমস্যাই কেইমাহমান ধৰি ইউৰোপ তোলপাৰ লগালে। বৃটিছ পৰৰাষ্ট্ৰনীতিয়ে জাৰ্মাণ সকলক বহুখিনি সহায় কৰিলে। আৰু এই নীতিৰ বিৰুদ্ধে থিয় হব পৰা সাহস ফ্ৰান্সৰ নাছিল। অৱশেষত জাৰ্মাণীৰ

পৰা একেবাৰে আসন্ন যুদ্ধৰ ভাবুকি পাই ফ্ৰান্সে ইয়াৰ মিত্ৰ চেকোশ্লো-ভাকিয়াৰ পক্ষ বৰ্জন কৰিলে, আৰু ইংলেণ্ডেও এই বিশ্বাসঘাতকতাৰ কাৰ্য্যত সহায় কৰিছিল। ১৯৩৮ চনৰ ২৯ চেপ্তেম্বৰ তাৰিখে জাৰ্মানী, ইংলেণ্ড আৰু ফ্ৰান্স আৰু ইটালীৰ মাজত মিউনিকত যি চুক্তি হৈছিল—তাৰে চেকোশ্লোভাকিয়াৰ ভাগ্য নিৰ্দ্ধাৰিত হল। চুডেতান অঞ্চল আৰু বহুখিনি বেচি জাৰ্মানীৰ দ্বাৰা অধিকৃত হল। সুযোগ বুজি পোলেণ্ড আৰু হাঙ্গেৰীয়েও দেশখনৰ কোনো কোনো অংশ আত্মসাৎ কৰিলে।

এইদৰে য়ুৰোপত এটি নতুন ধৰণৰ ভাগ বটোৱাৰা আৰম্ভ হৈ গল— য়ুৰোপৰ এই অৱস্থাত ফ্ৰান্স আৰু ইংলেণ্ড দ্বিতীয় শ্ৰেণীৰ শক্তিত পৰিণত হল, আৰু হিটলাৰ প্ৰভাৱিত নাজী জাৰ্মানীয়ে বিজয় গৌৰৱেৰে প্ৰভুত্ব কৰিবলৈ ধৰিলে।

১৯১
নিৰস্ত্ৰীকৰণ

২ আগষ্ট, ১৯৩৩

লণ্ডনত যি নিখিল বিশ্ব অৰ্থনৈতিক সন্মিলন বহিছিল সেইখন ব্যৰ্থ হয়; সেইকথা তোমাক কৈছো। সন্মিলন বন্ধ কৰি দিয়া হয়, সভ্যসকল নিজ নিজ ঘৰলৈ উভতি যায়; অৱশ্যে এইবুলি আশা প্ৰকাশ কৰি গৈছে, যে আকৌ তেওঁলোক একত্ৰিত হব পাৰে, এইবাৰতকৈ অধিক অনুকূল বা-বতাহৰ মাজত যেন সেইবোৰৰ আলোচনা চলাব পাৰে।

গোটেই পৃথিৱীজুৰি সহযোগিতা স্থাপনৰ আৰু এটা চেষ্টা ব্যৰ্থ হৈছে, সেইটো হৈছে, নিৰস্ত্ৰীকৰণ সন্মিলন। লীগ-অব-নেচনচৰ অনুশাসন অনুসৰি এই সন্মিলনৰ আয়োজন কৰা হৈছিল। ভাৰ্চাইলচ সন্ধিত স্থিৰ হৈছিল যে জাৰ্মাণীৰ (আৰু অষ্ট্ৰীয়া, হাঙ্গেৰী আদি বিজিত পক্ষৰ আন আন দেশবো) অস্ত্ৰসজ্জা পৰিত্যাগ কৰিব লাগিব। নৌ-বাহিনী বা বিমান বাহিনী বা ডাঙৰ কোনো সৈন্যবাহিনী ৰাখিব নোৱাৰিব; আৰু প্ৰস্তাৱ কৰা হৈছিল, আন আন দেশবোৰে তেওঁলোকৰ ৰণসজ্জা লাহে লাহে কমাই আনিব, যেন সকলোতে ৰণসজ্জাৰ পৰিমাণ দেশৰ নিৰাপত্তাৰ কাৰণে যিখিনি প্ৰয়োজন, সেই সীমাত ৰখা হয়। এই কাৰ্যসূচীত প্ৰথম অংশখিনি অৰ্থাৎ জাৰ্মাণীক নিৰস্ত্ৰীকৰণৰ কথাটো লগে লগেই কাৰ্যত পৰিণত কৰা হল; দ্বিতীয় অংশতো অৰ্থাৎ সকলো দেশতে সাধাৰণভাৱে নিৰস্ত্ৰীকৰণৰ ব্যৱস্থা কৰাটো সাধু প্ৰত্যাশা হৈ থাকিল আৰু এতিয়া তেনেকৈয়ে আছে। ভাৰ্চাইলচ সন্ধিৰ প্ৰায় তেৰবছৰ পিছত এই দ্বিতীয় অংশতো কাৰ্যকৰী কৰাৰ বাবে নিৰস্ত্ৰীকৰণ সন্মিলন আহ্বান কৰা হ'ল। কিন্তু সন্মিলনৰ পূৰ্ণ অধিবেশন বহাৰ আগতে একাধিক প্ৰাথমিক কমিছনে কেইবছৰমান ধৰি গোটেই বিষয়টোকেই তন্ন তন্ন কৰি বিশ্লেষণ কৰি চাইছিল।

অৱশেষত ১৯৩২ চনৰ প্ৰথমফালে নিখিল বিশ্ব নিৰস্ত্ৰীকৰণ সন্মিলনৰ অধিবেশন বহিল। মাহৰ পিছত মাহ, বছৰৰ পিছত বছৰ ধৰি এই সন্মিলন বহিল। এইবোৰ বৈঠকত বহু প্ৰস্তাৱ উত্থাপন আৰু প্ৰত্যাখান কৰা হ'ল, বহুতো বিৱৰণী পাঠ কৰা হল; অফুৰন্ত যুক্তি-তৰ্ক শুনা গল। নিৰস্ত্ৰীকৰণ বৈঠকবোৰা ই প্ৰায় অস্ত্ৰীয়কৰণ বৈঠকত পৰিণত হল। কোনো সৰ্বসন্মত সিদ্ধান্তত উপনীত হব পৰা নগল—কাৰণ কোনো দেশেই বেছিভাৱে আন্তৰ্জাতিক দৃষ্টিভঙ্গীলৈ

সমস্যাটো বিবেচনা কৰি চাবলৈ প্ৰস্তুত নহয়—প্ৰত্যেক দেশেই নিৰস্ত্ৰীকৰণৰ অৰ্থ ইয়াকে বুজে যে নিজৰ শক্তি সামৰ্থ্য ঠিক অটুট থাকিব কিন্তু আন দেশবোৰে অস্ত্ৰসজ্জা কমাই দিব। প্ৰায় সকলো দেশেই স্বাৰ্থপৰ নীতি অৱলম্বন কৰিছিল, কিন্তু জাপান আৰু গ্ৰেটবৃটেনে এই বিষয়ত আগৰণুৱা হৈ একমত লৈ অহাত বাধাৰ সৃষ্টি কৰিছিল। যি সময়ত এই বৈঠক বহিছিল, ঠিক সেই সময়ত জাপানে লীগক অগ্ৰাহ্য কৰি মাঞ্চুৰিয়াত এখন আক্ৰমণমূলক যুদ্ধ চলাইছিল। দক্ষিণ আমেৰিকাৰ দুখন গণৰাজ্যই পৰস্পৰৰ লগত যুঁজ কৰিছিল, আৰু বৃটেনে ভাৰতৰ উত্তৰ পশ্চিম সীমান্তৰ অধিবাসী পৰ্ব্বতীয়া জাতিবোৰৰ ওপৰত বোমাবৰ্ষণ কৰিছিল। চীনত জাপানীসকলে কৰা আক্ৰমণৰ আমেৰিকাই বিৰোধিতা কৰিছিল, কিন্তু জাপানৰ প্ৰতি থকা বৃটিছৰ বন্ধুত্বপূৰ্ণ সম্বন্ধৰ কাৰণে আমেৰিকাৰ সেই বিৰোধিতা বহুখিনি নিষ্ফল হল।

বহুত ৰকমৰ প্ৰস্তাৱ তোলা হৈছিল—তাৰ ভিতৰত সৰ্বপ্ৰধান তিনিটা আহিছিল যথাক্ৰমে চোভিয়েট ৰুচিয়া, আমেৰিকা আৰু ফ্ৰান্সৰ পৰা। ৰুচিয়াই প্ৰস্তাৱ কৰিছিল, যে সৰ্বমুঠ শতকৰা ৫০ ভাগ অস্ত্ৰসজ্জা কমাই দিয়া উচিত। আমেৰিকাৰ প্ৰস্তাৱ আছিল এক তৃতীয়াংশ নিৰস্ত্ৰীকৰণ। কিন্তু বৃটেনে এই দুয়ো প্ৰস্তাৱকে বিৰোধিতা কৰিছিল, কাৰণ সৈন্য সংখ্যা কমালে তেওঁলোকৰ নচলিব, বিশেষকৈ নৌবাহিনী—ইয়াক শান্তিৰক্ষা কৰা কামত পুলিচৰ কাৰণেই এওঁলোকৰ দৰকাৰ।

জাৰ্মাণ আক্ৰমণ অতীতৰ স্মৃতি ফ্ৰান্সে এতিয়াও পাহৰা নাই। ই সদায়েই কৈছে "নিৰাপত্তা" লাগে। কাৰণ ভৱিষ্যতলৈ যেন আকৌ আগৰ দৰে আক্ৰমণ তেওঁলোকৰ ওপৰত নহয়। তেওঁলোকৰ প্ৰস্তাৱ আছিল লীগ অৱ নেচনচৰ এটি সশস্ত্ৰ বাহিনী থকা উচিত। কোনো দেশে অন্য দেশক আক্ৰমণ কৰিলে, এই বাহিনী তেওঁলোকৰ বিপক্ষে ব্যৱহাৰ কৰা হব। সকলো দেশে সৰু বাহিনী আৰু লঘু অস্ত্ৰ সজ্জাৰ ব্যৱস্থা ৰাখিব। সকলো বিমান বাহিনী লীগৰ অধীনত থাকিব। কিন্তু এই প্ৰস্তাৱত আপত্তি কৰা হল; এই অজুহাতত যে যি কেইটা ডাঙৰ শক্তিয়ে লীগক কৰায়ত্ত কৰি ৰাখিছে, এই ব্যৱস্থাৰে তেওঁলোকেই শক্তি আৰু বঢ়াই তোলা হব আৰু কাৰ্যতঃ ফ্ৰান্সেই ইউৰোপত প্ৰভুত্ব কৰিব।

আক্ৰমণকাৰী কোন? এই প্ৰশ্নৰ উত্তৰ দিয়া টান কাৰণ প্ৰত্যেক আক্ৰমণকাৰী জাতিৰেই এইদৰে ঘোষণা কৰা অভ্যাস যে তেওঁলোকে যি কৰিছে, আত্মৰক্ষাৰ কাৰণেই কৰিছে মাঞ্চুৰিয়াত জাপানে আৰু অবিচিনীয়াত ইটালীয়ে নিজক আক্ৰমণকাৰী বুলি স্বীকাৰ কৰা নাছিল। মহাসমৰত প্ৰত্যেকখন দেশে শত্ৰুপক্ষক আক্ৰমণকাৰী বুলি অভিহিত কৰিছিল। সেই দেখি আক্ৰমণকাৰীৰ বিৰুদ্ধে ব্যৱস্থা লবলৈ হলে স্পষ্ট আৰু সুনিৰ্দ্দিষ্ট সূত্ৰ এটাৰ প্ৰয়োজন। চোভিয়েট ৰুচিয়াই এটা সংজ্ঞা দিলে—এই সূত্ৰ অনুসৰি যি কোনো দেশে সীমা পাৰ হৈ অন্য দেশৰ মাজলৈ সৈন্যদল পঠালে বা আন দেশৰ সমুদ্ৰকূল অৱৰোধ কৰিলে তাকেই 'আক্ৰমণকাৰী" বোলা হব। তাৰ পিছত প্ৰেচিডেণ্ট ৰুজভেল্টে আৰু লীগ অৱ নেচনচৰ এখন সৰু কমিটিয়েও এনে এটি সূত্ৰ আগবঢ়ালে। ৰুচিয়াই তেওঁলোকৰ প্ৰতিবেশী ৰাজ্যবোৰৰ লগত যি অনাক্ৰমণ চুক্তি কৰিলে তাত সেই চোভিয়েট সংজ্ঞাই গৃহীত

হল। কি সৰু কি ডাঙৰ পৃথিৱীৰ প্ৰায় সকলো দেশেই এই সংজ্ঞা মানি লবলৈ মান্তি হল—আনকি ফ্ৰান্সেও। কিন্তু এই সূত্ৰ দেখি জাপান বৰ বিব্ৰত হল। এই সূত্ৰ মানি লবলৈ ইংলেণ্ডে অস্বীকাৰ কৰিলে আৰু বিষয়টো অলপ অস্পষ্ট কৰি ৰাখিবলৈ বিচাৰিলে। তাকে সমৰ্থন কৰিলে ইটালীয়ে।

নিৰস্ত্ৰীকৰণ সন্মিলনত বৃটেনৰ প্ৰস্তাৱৰ মূল ভিত্তি হল এয়ে যে তেওঁলোকৰ পক্ষে নিৰস্ত্ৰীকৰণ প্ৰয়োজন নাই—আন আন জাতিৰ পক্ষেই আৱশ্যক। বিমানৰ-পৰা বোমাবৰ্ষণ সম্বন্ধে আন প্ৰায় সকলো দেশেই এনেধৰণৰ বোমা নিক্ষেপ বন্ধ কৰাৰ সপক্ষে চৰ্ত প্ৰকাশ কৰিছিল। কিন্তু ইংলেণ্ডে শান্তি ৰক্ষা কৰাৰ বাবে প্ৰয়োজন হলে এনে ব্যৱস্থা দাতি কাষৰীয়া অঞ্চলৰ ক্ষেত্ৰত বাহাল ৰাখিব লাগে বুলি এটা দফা যোগ দিয়াটো বিচাৰিলে। তাৰ অৰ্থ হ'ল—সাম্ৰাজ্যত অবাধে বোমা বৰ্ষণ কৰিব পাৰিব। আনবোৰে এই দফাটো গ্ৰহণ নকৰিলে। ফলত পৰিহাৰ কৰা সম্পৰ্কীয় গোটেই প্ৰস্তাৱটোৱেই ব্যৰ্থ হ'ল। জাৰ্মাণীয়ে আনবোৰ শক্তিৰ সৈতে সমান ব্যৱহাৰ পাবলৈ বিচৰাটো স্বাভাৱিক কথা। আন দেশক যি সীমালৈকে অস্ত্ৰসজ্জা কৰিবলৈ দিয়া হৈছে—সেই সীমালৈকে জাৰ্মাণীকো অস্ত্ৰসজ্জিত হবলৈ দিব লাগিব। নতুবা আনবোৰ দেশক জাৰ্মাণীৰ সমপৰ্যায়লৈ নিৰস্ত্ৰ কৰিব লাগিব। এই চুক্তি খণ্ডন কৰিবৰ উপায় নাই। লীগৰ চনদত জানো এইবুলি কোৱা নাই যে জাৰ্মাণীৰ নিৰস্ত্ৰীকৰণ অন্যান্য দেশৰ নিৰস্ত্ৰীকৰণৰ পাতনিহে? এই সম্পৰ্কীয় আলোচনা চলি থকা সময়তে জাৰ্মাণীত নাজীসকল ক্ষমতাত অধিষ্ঠিত হল আৰু তেওঁলোকৰ আক্ৰমণাত্মক ভাব গতি আৰু ভাবুকিয়ে ফ্ৰান্সক ভয় খুৱালে। ফলত ফ্ৰান্স আৰু আন আন শক্তিৰ মনোভাৱ কঠোৰ হৈ উঠিল। জাৰ্মাণীৰ তৰফৰপৰা আগবঢ়োৱা বিকল্প প্ৰস্তাব এটাও মানি লোৱা নহল।

নিৰস্ত্ৰীকৰণ ব্যৱস্থা যাতে সফল নহয় তাৰ বাবে ভিতৰি ভিতৰি বহুত ষড়যন্ত্ৰ চলিল। বিশেষকৈ এই চক্ৰান্ত কৰিছে ৰণসজ্জা নিৰ্মাণকাৰী ব্যৱসায়ীসকলৰ মোটা দৰমহা পোৱা প্ৰতিনিধিসকলে। অস্ত্ৰশস্ত্ৰ তৈয়াৰ কৰে কিছুমান বে-চৰকাৰী প্ৰতিষ্ঠানে। এইবোৰ প্ৰতিষ্ঠানৰ যিসকলে মালিক তেওঁলোক বৰ ধনী হৈ পৰে; সাধাৰণতে সকলো দেশৰ চৰকাৰৰ লগতো এওঁলোকৰ বৰ ঘনিষ্ঠ যোগাযোগ আছে। আগৰ এখন চিঠিত মই এনে এজন লোকৰ কথা কৈছিলো। তেওঁৰ নাম ৰেচিল জাহাৰফ।

যুদ্ধ আৰু যুদ্ধৰ আয়োজন বুলিলেই এইবোৰ ৰণসজ্জা নিৰ্মাণৰ কাৰখানাৰ লাভ। এওঁলোক হৈছে নৰহত্যাৰ পাইকাৰী ব্যৱসায়ী। এওঁলোকৰ মৃত্যু বৰষা যন্ত্ৰপাতিৰ বাবে এওঁলোকে যি দাম কয় তাকেই দিবলগীয়া হয়। লীগ অৱ নেচনচে যেতিয়া চীনক আক্ৰমণ কৰাৰ কাৰণে জাপানক তিৰস্কাৰ কৰিছে ঠিক তেতিয়াই ইংলেণ্ড ফ্ৰান্স আৰু বহুত দেশৰ ৰণ-সজ্জাৰ কাৰখানাবোৰে জাপান আৰু চীন দুয়ো পক্ষৰে সমানে অস্ত্ৰশস্ত্ৰৰ যোগান ধৰিছিল। প্ৰকৃততে নিৰস্ত্ৰীকৰণ হল এই প্ৰতিষ্ঠানবোৰৰ সৰ্বনাশ হব; তেওঁলোকৰ ব্যৱসায় অচল হব। তেওঁলোকৰ কাৰণে সেয়ে বিপৰ্যয় স্বল্পতাকে বোধ কৰিবলৈ তেওঁলোকে চেষ্টা কৰিলে।

অকল সেয়ে নহয় আৰু আগবাঢ়িল। অস্ত্ৰ নিৰ্মাণৰ বে-চৰকাৰী ব্যৱসায়ীসকলৰ সম্বন্ধে তদন্ত কৰিবৰ কাৰণে লীগ-অব-নেচনচে এটি বিশেষ কমিচন নিয়োগ কৰিছিল এওঁলোকে সিদ্ধান্ত প্ৰকাশ কৰিছিল এই প্ৰতিষ্ঠানবোৰে জোৰ কৰি মানুহৰ মনত যুদ্ধৰ আতঙ্ক জগাই তোলে আৰু যুদ্ধপ্ৰয়াসী নীতি গ্ৰহণ কৰিবলৈ নিজৰ দেশক সন্মত কৰায়। এওঁলোকে আৰু প্ৰমাণ পাইছে সমৰ বিভাগ আৰু নৌবাহিনীৰ পিচত কোনো দেশে কিমান টকা ব্যয় কৰিছে। সেই সম্বন্ধে এওঁলোকে মিছা উৰা বাতৰি যোগায়। তাকে শুনি যাতে ভয় খাই আন আন দেশেও তেওঁলোকৰ ৰণ-সজ্জাৰ কাৰণে বেছি টকা নিয়োগ কৰে। তেওঁলোকে ইখন দেশক সিখনৰ বিৰুদ্ধে উচটাই দিয়ে আৰু অস্ত্ৰসজ্জাৰ প্ৰতিযোগিতা চলাবলৈ সহায় কৰে। জনমতৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ তেওঁলোকে চৰকাৰী কৰ্মচাৰীক ভেটি খুৱায় আৰু বাতৰি কাকত কিনি লয়। ইপিনে অস্ত্ৰশস্ত্ৰ আদিৰ দাম বঢ়াবৰ বাবে তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় ট্ৰাষ্ট আৰু মনপলী গঠন কৰে। লীগৰ এই কমিচনে প্ৰস্তাৱ কৰিলে বে-চৰকাৰী প্ৰতিষ্ঠানৰ পক্ষে ৰণসজ্জা নিৰ্মাণ কৰা নিষিদ্ধ কৰি দিয়া হওঁক। নিৰস্ত্ৰীকৰণ সন্মিলনতো এই প্ৰস্তাৱ তোলা হৈছিল। কিন্তু ইয়াতো বৃটিছ চৰকাৰেই আপত্তি তুলিলে।

বিভিন্ন দেশৰ এই ৰণসজ্জা নিৰ্মাণৰ কাৰখানাবোৰৰ লগত পৰস্পৰৰ লগত সম্বন্ধ আছে। এওঁলোকে দেশপ্ৰেমক জগাই তুলি নিজৰ সুবিধা আদায় কৰে। মৃত্যুকলৈহে এওঁলোকৰ খেলা। অথচ এওঁলোকৰ নিজৰ কাৰবাৰ চলোৱাৰ সময়ত এওঁলোক ঘোৰ আন্তৰ্জাতীয়বাদী। এওঁলোকৰ নাম দিয়া হৈছে 'গুপ্ত আন্তৰ্জাতিক'। তেওঁলোকে নিৰস্ত্ৰীকৰণৰ ঘোৰ প্ৰতিবাদ কৰাটো স্বাভাৱিক কথা। মীমাংসাত উপনীত হোৱাত তেওঁলোকে বাধা দিলে। এওঁলোকৰ চোৰাংচোৱাসকলে উৰ্দ্ধতন কূটনৈতিক আৰু ৰাজনৈতিক মহলত ঘূৰি ফুৰে। জেনেভাতো এওঁলোকে দেখা দিছে। যৱনিকাৰ আঁৰালৰপৰা সুতা টানি এওঁলোকে ৰঙ্গমঞ্চত হোৱা অভিনয়ক নিজৰ ইচ্ছামতে পৰিচালনা কৰিবলৈ চেষ্টা কৰে।

এই 'গুপ্ত আন্তৰ্জাতিক'ৰ লগত প্ৰায়ে বিভিন্ন চৰকাৰৰ চোৰাংচোৱা বিভাগৰ যোগাযোগ থাকে। আন দেশৰপৰা গোপন খবৰ গোটাবলৈ প্ৰত্যেকটো চৰকাৰে চোৰাংচোৱা নিযুক্ত কৰে। কেতিয়াবা চোৰাংচোৱা ধৰা পৰে; কিন্তু তেতিয়া তেওঁলোকৰ নিজৰ চৰকাৰে ই তেওঁলোকক অস্বীকাৰ কৰে। এই চোৰাংচোৱা বিভাগবোৰৰ কথা উল্লেখ কৰি আৰ্থাৰ প্ৰণ্ছনবীয়ে (কেইবছৰমানৰ আগতে এওঁ বৃটিছ চৰকাৰৰ বৈদেশিক পৰিক্ৰমাৰ সহকাৰী সচিব আছিল; এতিয়া তেওঁ লৰ্ড পণ্ছন্‌বী) কমন্স সভাত ১৯২৭ চনৰ মে মাহত কৈছিল "নৈতিকতাৰ ভেটিত আমি সত্যক স্বীকাৰ কৰি কথাই ৰাখিব যে জালকৰা, চুৰিকৰা, মিছাকোৱা, ভেটাদিয়া আৰু দুৰ্নীতিৰ আশ্ৰয় লোৱা— এইবোৰ কথাৰ লগত পৃথিৱীৰ প্ৰত্যেকটো বৈদেশিক দপ্তৰ আৰু ৰাষ্ট্ৰদূতাবাস জড়িত আছে— সৰ্বজন স্বীকৃত নৈতিক বিধিমতেই যদি কৰ লোকো যে বিদেশত থকা আমাৰ প্ৰতিনিধিসকলে যদি সেইবোৰ দেশৰ দলিল পত্ৰৰ সংগ্ৰহালয়ৰপৰা গোপন তথ্য সংগ্ৰহ কৰিব নোৱাৰে; তেন্তে তেওঁলোকে কৰ্তব্যৰ প্ৰতি অৱহেলা কৰা হব।"

এই গুপ্তচৰ বিভাগৰ কামকাজ গোপনে চলে। এতেকে এওঁলোকৰ নিজৰ

কৰাও কঠিন। নিজৰ দেশৰ পৰৰাষ্ট্ৰনীতিৰ ওপৰত এওঁলোকৰ ভীষণ প্ৰভাৱ। এওঁলোকৰ সংগঠনো ব্যাপক আৰু শক্তিশালী। আজিৰ দিনত বোধকৰো বৃটেনৰ গুপ্তচৰসকলেই বেছি শক্তিমান। বৃটেনৰ এজন প্ৰসিদ্ধ গুপ্তচৰ ৰুচিয়াত চোভিয়েট চৰকাৰৰ এজন উচ্চ পদস্থ কৰ্মচাৰী হৈ আছিল। চাৰ চমুৱেল হোৰ বৃটিছ মন্ত্ৰী-সভাৰ সদস্য যুদ্ধৰ সময়ত তেওঁ আছিল, ৰুচিয়াত বৃটেনৰ যি গুপ্তচৰ বিভাগ আছিল তাৰ এজন প্ৰধান বিষয়া। বৰ্ত্তমান তেওঁ প্ৰকাশ্যভাৱে আৰু বেচ গৰ্বৰেই ঘোষণা কৰিছে—তেওঁ বাতৰি সংগ্ৰহৰ ব্যৱস্থা এনে চমৎকাৰ আছিল যে ৰাজপুটিনৰ হত্যাৰ বাতৰি আন কোনেও পোৱাৰ বহু আগতে তেওঁ পাইছিল।

নিৰস্ত্ৰীকৰণ সন্মিলনৰ আচল অসুবিধা হৈছে এই পৃথিবীত দুই শ্ৰেণীৰ দেশ আছে—সন্তুষ্ট দেশ আৰু অসন্তুষ্ট দেশ। একালে আছে যিসকলে প্ৰভুত্ব কৰিছে তেওঁলোক আৰু আনকালে আছে যিসকল পদানত হৈ আছে তেওঁলোক। এদলে বিচাৰে বৰ্ত্তমানৰ অৱস্থা তিষ্ঠি থাকক—এদলে ইয়াৰ পৰিবৰ্ত্তন বিচাৰে। এই দুয়োপক্ষৰ মাজত স্থায়ী মকামিলা হব নোৱাৰে। মুঠতে কবলৈ গলে 'লীগ অৱ নেশ্যনছ্'এ প্ৰভুত্ব কৰা দেশবোৰৰে প্ৰতিনিধিত্ব কৰে আৰু সেইদেখি স্থিতাৱস্থা ৰক্ষা কৰাটোকে বিচাৰে। নিৰাপত্তা চুক্তি আৰু আক্ৰমণকাৰী দেশৰ সূত্ৰ নিৰ্ণয় কৰাৰ চেষ্টা—এই সকলোবোৰৰ অৰ্থ হল—এতিয়াৰ অৱস্থা বাহাল ৰখা। যিয়েই নষ্টক লাগে, সম্ভৱতঃ লীগক নিয়ন্ত্ৰণ কৰা কোনো শক্তিকে লীগে আক্ৰমণকাৰী বুলি গৰিহণা নিদিয়ে। পাকচক্ৰ লগাই ইটো পক্ষকহে আক্ৰমণকাৰী বুলি ঘোষণা কৰিব। শান্তিকামীসকলে আৰু যিসকলে যুদ্ধৰ সম্ভাৱনা দূৰ কৰিবলৈ বিচাৰে তেওঁলোকে এই নিৰাপত্তা চুক্তিও আনন্দৰে অভ্যৰ্থনা জনাইছে। একপ্ৰকাৰে কবলৈ গলে তেওঁলোকে তাকে কৰি এই অন্যায় 'স্থিতাৱস্থাক' বাহাল ৰখাত সহায় কৰিছে। ৱুৰোপতেই যেতিয়া এই অৱস্থা এচিয়া আৰু আফ্ৰিকাততো এই কথা আৰু বেচিকৈ খাটে। কাৰণ ইয়াত সাম্ৰাজ্যবাদী জাতিবোৰে ডাঙৰ ডাঙৰ অঞ্চল দখল কৰি আছে। স্থিতাৱস্থা বাহাল ৰখাৰ অৰ্থ হল—এচিয়া আৰু আফ্ৰিকাত সাম্ৰাজ্যবাদী শোষণ অটুট ৰখা। এই স্থিতাৱস্থা বাহাল ৰখাৰ কথাত আমেৰিকাৰ যুক্তৰাষ্ট্ৰ ৱুৰোপৰ কাৰো লগত এতিয়ালৈকে কোনো ৰকমৰ মিত্ৰতা কৰা নাই বা প্ৰতিশ্ৰুতি দিয়া নাই।

নিৰস্ত্ৰীকৰণৰ কাৰণে সকলোৰকমৰ আয়োজন ব্যৰ্থতাই প্ৰমাণ কৰি দিছে আজিকালিৰ আন্তৰ্জাতিক ৰাষ্ট্ৰনীতি কিমান কৃত্ৰিম আৰু অসাৰ। প্ৰত্যেকেই শান্তিৰ কথা কৈছে কিন্তু যুদ্ধৰ কাৰণে আয়োজনো কৰিছে।

চুক্তিয়ে যুদ্ধ নিষিদ্ধ কৰিছিল—কিন্তু কোনে সেইকথা মনত ৰাখিছে বা তাৰে কেৰেপ কৰিছে?

মন্তব্য:—নিৰস্ত্ৰীকৰণ সন্মিলনত উত্থাপিত জাৰ্মাণৰ প্ৰস্তাৱসমূহ গৃহীত নহল। ১৯৩৩ চনৰ অক্টোবৰ মাহত জাৰ্মাণীয়ে এই সন্মিলন বৰ্জন কৰি ওলাই আহিল। লীগৰ সদস্য পদো ইস্তফা দিলে। তেতিয়াৰপৰাই ই লীগৰ বাহিৰতে আছে। জাপানেও মাঞ্চুৰিয়াৰ কথা লৈ লীগ ত্যাগ কৰিছে, আৰু আবিচিনিয়াক আক্ৰমণ আক্ৰমণ কৰাত লীগে যি মনোভাৱ দেখুৱাইছে তাৰ কাৰণে ইটালীয়েও লীগ বৰ্জন কৰিছে। সেয়ে তিনিটা ডাঙৰ ডাঙৰ শক্তিয়েই লীগৰ বাহিৰত আছে। এনে

অৱস্থাত লীগৰ পক্ষে নিৰস্ত্ৰীকৰণ সম্পৰ্কে কোনো আন্তৰ্জাতিক সিদ্ধান্ত গ্ৰহণ কৰা প্ৰায় অসম্ভৱ হৈ পৰিল। প্ৰকৃততে নিৰস্ত্ৰীকৰণ সন্মিলন প্ৰায় শেষ হোৱাৰ লগে লগেই সকলো দেশেই ব্যাপকভাৱে ৰণসজ্জাৰ আয়োজন আৰম্ভ কৰিলে। জাৰ্মাণীয়ে এক বিৰাট সৈন্যবাহিনী আৰু বিমানবাহিনী গঢ়ি তুলিবলৈ লাগি পৰিল। ইংলেণ্ড, ফ্ৰান্স, আমেৰিকাৰ যুক্তৰাষ্ট্ৰ আৰু আন আন দেশবোৰে যুদ্ধৰ আয়োজনৰ কাৰণে বিপুল অৰ্থ নিয়োগ কৰিলে।

১৯২

পৰিত্ৰাতা প্ৰেচিডেণ্ট ৰুজভেণ্ট

৪ আগষ্ট, ১৯৩৩

এই কাহিনী শেষ কৰাৰ আগতে (শেষ কৰাত আৰু পলম কৰিব নোৱাৰি) আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ফালে আৰু এবাৰ চকু ফুৰাই লোৱা। তাত এতিয়া এটা ডাঙৰ আৰু চিত্তাকৰ্ষক পৰীক্ষা চলিছে, গোটেই পৃথিৱীয়ে তাৰফালে লক্ষ্য কৰিছে। কাৰণ পুঁজিবাদ ভবিষ্যতে কোণ পথেৰে চলিব সেইটো নিৰ্ভৰ কৰিছে ইয়াৰ ফলৰ ওপৰতেই। পুঁজিবাদী দেশবোৰৰ মাজত আমেৰিকা আনবোৰতকৈ বহুতো আগুৱাই গৈছে, ইয়াৰেই টকা সকলোতকৈ বেছি। ইয়াৰ শিল্প কৌশলো আনবোৰতকৈ বহুত বেচি উন্নত। অন্য কোনো দেশৰ ওচৰতেই ইয়াৰ এক পই-চাও ধাৰ নাই যিখিনি ধাৰ আছে সি কেৱল নিজৰ প্ৰজাসকলৰ ওচৰত। ইয়াৰ ৰপ্তানি বাণিজ্যও বৰ বেচি, দিনে দিনে তাৰ পৰিমাণ বাঢ়িহে গৈছে। অথচ সেই ৰপ্তানি বাণিজ্যৰ পৰিমাণ হল ইয়াৰ বিৰাট আভ্যন্তৰীণ বাণিজ্যৰ এটি ক্ষুদ্ৰ অংশ (প্ৰায় শতকৰা ১৫ ভাগৰ সমান) মাত্ৰ। আয়তনত দেশখন য়ুৰোপ মহাদেশখনৰ সমান। কিন্তু এইবোৰৰ মাজত বৰ বিৰাট পাৰ্থক্য আছে। য়ুৰোপ বহুতো সৰু সৰু দেশত বিভক্ত, এইবোৰ প্ৰত্যেকেই নিজৰ নিজৰ সীমান্তৰ দুৱাৰত অতি উচচ শুল্কৰ প্ৰাচীৰ বান্ধি থৈ আছে। যুক্তৰাষ্ট্ৰত নিজৰ এলেকাৰ ভিতৰত বাণিজ্যৰ পথত কোনো বাধা নাই। এতেকে ইউৰোপৰ তুলনাত আমেৰিকাত বিৰাট আভ্যন্তৰীণ বাণিজ্য গঢ়ি তোলা বহুত সহজ আছিল। য়ুৰোপৰ দেশবোৰ দৰিদ্ৰ হৈ পৰিছে, ধাৰৰ হেঁচাত জৰ্জৰিত, আমেৰিকাৰ দৰে সুবিধাবোৰো তেওঁলোকৰ নাছিল। আমেৰিকাত আছিল বহুতো সোণ, বহুতো টকা, বহুতো সামগ্ৰী।

কিন্তু ইমানবোৰ থকা সত্ত্বেও পুঁজিবাদৰ সংকটে ইয়াকো অব্যাহতি নিদিলে। ইয়াৰ সকলো গৰ্ব ধূলিসাৎ হৈ গল। আমেৰিকাৰ জনসাধাৰণৰ প্ৰাণশক্তি আৰু কৰ্মোদ্যোগৰ সীমা নাছিল, তেওঁলোক হৈ পৰিল অদৃষ্টবাদী। দেশ হিচাবে আমেৰিকা তেতিয়াও দৰিদ্ৰ নহয়, ইয়াৰ টকা কড়ি দেশৰপৰা বাহিৰ হৈ যোৱা নাই। কিন্তু সেই টকা কড়ি থুপ খালেগৈ কেইজনমান মানুহৰ হাতত। নিউ-ইয়ৰ্কত তেতিয়াও শশ কোটিপতিৰ সাক্ষাৎ পোৱা গৈছিল। প্ৰসিদ্ধ বেঙ্ক মালিক জে, পিয়েৰপণ্ট মৰগ্যান তেতিয়াও তেওঁৰ নিজস্ব প্ৰমোদ জাহাজত বিলাস ভ্ৰমণ বন্ধ কৰা নাছিল, শুনা যায় সেই জাহাজ খনৰ দাম পৰিছিল ৬০,০০,০০০ পাউণ্ড।

অথচ সেই নিউ ইয়ৰ্ককেই এতিয়া কোৱা হৈছে ভোকাতুৰ সকলৰ চহৰ। চিকাগো আদি ডাঙৰ ডাঙৰ চহৰতো মিউনিচিপেলিটিবোৰ কাৰ্যতঃ দেউলীয়া হৈ গৈছে। হেজাৰ হেজাৰ কৰ্মচাৰীক মাহিলী দৰমহা দিব পৰা নাই। আকৌ এই চিকাগোতেই এতিয়া এখন বিৰাট প্ৰদৰ্শনী বা 'বিশ্বমেলা' চলিছে—তাৰ নাম দিয়া হৈছে 'প্ৰগতিৰ শতিকা'। ঐশ্বৰ্য আৰু দৈন্য এই বিসঙ্গতি কেৱল যে আমেৰিকাত হে দেখা গৈছে এনে নহয়। লণ্ডনলৈ যোৱা দেখিবা বৃটেনৰ উচ্চশ্ৰেণী বোৰৰ অজস্ৰ ধন-সম্পত্তি আৰু বিলাসৰ প্ৰমাণ ইয়াৰ সকলোতে সিঁচৰিত হৈ আছে। অৱশ্যে বস্তবোৰত সেইবোৰ দেখিবলৈ পোৱা নেযাব। আকৌ লাঙ্কাচায়াৰ বা ইংলেণ্ডৰ উত্তৰ বা মধ্য অঞ্চল অথবা ৱেলচ্ আৰু স্কটলেণ্ডলৈ যোৱা দেখিবা ভোকাতুৰ, নিবনুৱাৰ দীঘলীয়া শাৰী, দেখিবা মানুহৰ বিবৰ্ণমুখ—দেখিবা মানুহৰ জীৱন যাত্ৰাৰ দুৰ্ৱৱস্থা।

আমেৰিকাৰ যোৱা কেইবছৰৰ ভিতৰত এটি উল্লেখ যোগ্য ঘটনা ঘটিছে, সেইটো হৈছে অপৰাধ অনুষ্ঠানৰ বৃদ্ধি। বিশেষকৈ দলবদ্ধ অপৰাধ একোদল গুণ্ডাই এক হৈ কাম কৰে; তেওঁলোকৰ কামত কোনোবাই বাধা দিলে বহুত সময়ত গুলীকৰি মাৰি পেলায়। বহুতো কম মাদক পানীয় বিক্ৰী কৰা নিষিদ্ধ কৰি আইন প্ৰণয়ন কৰাৰ পিছৰপৰাহে হেনো অপৰাধৰ মাত্ৰা বাঢ়ি গৈছে। বিশ্বযুদ্ধৰ অলপ পিছতেই এই 'মদ খোৱা নিষেধ' বিধিক আইনত পৰিণত কৰা হল। এই আইন প্ৰণয়ন কৰোঁতে বেছি উৎসাহ দিছিল ডাঙৰ ডাঙৰ কাৰখানাৰ মালিক সকলে, তেওঁলোকে বিচাৰিছিল যেন তেওঁলোকৰ বনুৱাসকলে মদ খাবলৈ নেপায় তেতিয়াহলে তেওঁলোকে ভালদৰে কাম কৰিব পাৰিব। কিন্তু ধনীসকলে এই আইন অমান্য কৰিলে, বিদেশৰপৰা বে-আইনী মদ আমদানি কৰিবলৈ ধৰিলে। এনেদৰে দেশত মদ বিক্ৰীৰ এটি বে-আইনী ব্যৱসায় গঢ়ি উঠিল। এই ব্যৱসায়ৰ নাম আছিল 'বুট লেগিং'। এওঁলোকে আন দেশৰপৰা চোৰাং পথেৰে চোৰাং মদ আনে আৰু দেশৰ ভিতৰতে গোপনে এইবোৰ তৈয়াৰ কৰে। সাধাৰণতে চোৰাংভাৱে তৈয়াৰ কৰা মদ নিম্নমানৰ আৰু শৰীৰৰ পক্ষে বেছি অহিতকৰ আছিল। এইবোৰ পানীয় বৰ বেছি দামত বিক্ৰী হৈছিল। য'ত এইবোৰ মদ মনে মনে বিক্ৰী হৈছিল সেইবোৰ নাম আছিল 'স্পীক ইজি'। আমেৰিকাৰ ডাঙৰ ডাঙৰ চহৰবোৰত হাজাৰ হাজাৰ এনে ধৰণৰ দোকান হ'ল। এইবোৰ বে-আইনী আছিল আৰু সেয়ে যাতে বৰ্তি থাকে তাৰবাবে পুলিচ আৰু ৰাজনীতিবিদক ভেটি দিয়া হৈছিল আৰু ভাবুকিও দিছিল। এনেদৰে ব্যাপকভাৱে আইনক অগ্ৰাহ্য কৰাৰ লগে লগে দলবদ্ধ দস্যুবৃত্তিও ক্ৰমে বাঢ়ি আছিল। এতেকে মদ নিবাৰণৰ কাৰণে যিদৰে বনুৱা শ্ৰেণীৰ আৰু গাৰ্হস্থ লোকসকলৰ উপকাৰ হল, ঠিক তেনেদৰে দেশৰ এটি ডাঙৰ ক্ষতিও হল—এটা অতি শক্তিশালী চোৰাং ব্যৱসায়ীৰ দল দেশত গঢ়ি উঠিল। তেতিয়া দেশত দুটা দল হল—এটা মদ নিবাৰণৰ পক্ষে আনটো দলে ইয়াৰ বিৰোধীতা কৰা দল।

দলবদ্ধ দস্যুসকলৰ অপৰাধৰ ভিতৰত আটাইতকৈ ভয়াবহ আছিল শিশু চুৰ কৰা। ধনী লোকৰ সৰু সৰু শিশুবোৰ এওঁলোকে চুৰকৰি নি বন্দী কৰি ৰাখে আৰু এৰি দিয়াৰ বাবদতে টকা লয়। কিছুদিনৰ আগতে লিণ্ডবাৰ্গৰ শিশুপুত্ৰক

এওঁলোকে এইদৰে চুৰ কৰিছে আৰু তাৰ পিছত নৃশংসভাৱে হত্যা কৰিছে—সেই হত্যাকাণ্ডৰ বিৱৰণী শুনি পৃথিৱীৰ সকলোৰেই আতঙ্কত চিঞৰি উঠিছিল।

একালে এইবোৰ ঘটনা আনকালে বাণিজ্য সংকট, তাৰ উপৰি আকৌ দেখা গল ডাঙৰ ডাঙৰ চৰকাৰী কৰ্মচাৰী আৰু ডাঙৰ ডাঙৰ ব্যৱসায়ী সকলৰ বহুতেই দুৰ্নীতি পৰায়ণ আৰু অযোগ্যলোক, এইবোৰ দেখি শুনি আমেৰিকাৰ জনসাধাৰণে একেবাৰেই উৱাদিহ নোপোৱা হল। ১৯৩২ চনৰ নবেম্বৰ মাহত প্ৰেচিডেণ্ট নিৰ্ব্বাচন হল। এই নিৰ্ব্বাচনত লাখ লাখ লোকে ৰুজভেণ্টৰ পক্ষ সমৰ্থন কৰিলে। তেওঁলোকৰ আশা ৰুজভেল্টেই—এই বিপদত তেওঁলোকক ৰক্ষা কৰিব পাৰিব। ৰুজভেল্ট সুৰা নিবাৰণ কৰাৰ বিৰোধী দলৰ লোক। ডেমক্ৰেটীক দলৰ মানুহ তেওঁ, যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেণ্টৰ আসনত এই দলৰ লোক অতি কমেইহে বহিছে।

দুখন বিভিন্ন দেশৰ অৱস্থা তুলনা কৰি চোৱাত আনন্দ আছে। তাৰ অৱস্থাটো বুজাত সুবিধা হয়। অৱশ্যে দুয়োখন দেশৰ নিজা বিশেষত্ববোৰলৈ মন কৰিহে তুলনা কৰিব লাগিব। এই কাৰণেই যুক্তৰাষ্ট্ৰত যিবোৰ ঘটনা বৰ্ত্তমান ঘটিছে, তাক জাৰ্মাণৰ লগতেই যুক্তৰাষ্ট্ৰৰ সাদৃশ্য বেচি, কাৰণ দুয়োখন দেশেই শিল্প প্ৰচেষ্টাৰ কালৰপৰা অতি উন্নত। অথচ দুয়োখন দেশতেই কৃষিজীৱিৰ সংখ্যা অসংখ্য। জাৰ্মাণীৰ মুঠ লোক সংখ্যাৰ শতকৰা ২৫ জন কৃষক; যুক্তৰাষ্ট্ৰত এওঁলোকৰ সংখ্যা শতকৰা ৪০ জন। এওঁলোকে জাতীয় নীতি স্থিৰ কৰা সময়ত এই কৃষকসকলৰ কথা মনত ৰাখি কৰিবলগীয়া হয়। ইংলেণ্ডত সেইটো নহয়। তাত কৃষকৰ সংখ্যা অনুপাত হিচাবে বৰ কম। এতেকে তেওঁলোকৰকালে কোনেও ভ্ৰূক্ষেপ নকৰে। যদিও এতিয়া তেওঁলোকৰ সুবিধা কৰি তোলাৰ নতুন প্ৰচেষ্টা চলিছে।

জাৰ্ম্মাণীত নাজী আন্দোলনৰ এটি প্ৰধান কাৰণ আছিল দুখীয়া নিম্ন মধ্যবিত্ত লোকৰ সংখ্যা বৃদ্ধি, জাৰ্ম্মাণীৰ মুদ্ৰাস্ফীতিৰ পিচতেই এওঁলোকৰ সংখ্যা অতি দ্ৰুত গতিত বাঢ়িবলৈ ধৰে। জাৰ্ম্মাণীত এই শ্ৰেণীটোৱেই বিপ্লৱপন্থী হৈ উঠিছিল। আমেৰিকাত ঠিক এই শ্ৰেণীটোৱেই বাঢ়ি আহিছে, এওঁলোকক কোৱা হয় 'বগা চোলা পিন্ধা প্ৰোলিটাৰিয়েট', এই নাম দি এওঁলোকক শ্ৰমিক শ্ৰেণীভুক্ত প্ৰোলি-টাৰিয়েটৰ পৰা বেলেগ কৰি বুজোৱা হয়।

আন আন যিবোৰ বিষয়ত এওঁলোকৰ মাজত তুলনা কৰিব পাৰি, তাৰ ভিতৰত আছে মুদ্ৰা সংকট, মাৰ্ক, পাউণ্ড আৰু ডলাৰৰ স্বাৰ্থমানৰপৰা বিচ্যুতি হৈ পৰা আৰু মুদ্ৰাস্ফীতি আৰু বেঙ্ক বন্ধৰ উজান। ইংলণ্ডত বোলে বেঙ্ক বন্ধ হোৱা নাই, কাৰণ সেইখন বহুতো সৰু সৰু বেঙ্কৰ দেশ নহয়। তাত বেঙ্ক সংক্ৰান্ত ব্যৱসায় সকলোখিনি চলিছে মাত্ৰ কেইটামান ডাঙৰ বেঙ্কৰ যোগেদি। ইয়াৰ বাহিৰে এই তিনিখন দেশত ঘটনাৰ প্ৰবাহ একে ধৰণেই চলিছে। সংকটৰ হেঁচা প্ৰথমে পৰিলহি জাৰ্মাণীত, তাৰ পিচত ইংলেণ্ডত—তাৰ পিচত যুক্তৰাষ্ট্ৰত। জাৰ্মাণীত নাজীসকলে জয়লাভ কৰিছে, বৃটেইনত ১৯৩১ চনৰ নিৰ্ব্বাচনত জাতীয় চৰকাৰে জয়লাভ কৰিছে, ১৯৩২ চনৰ নবেম্বৰ মাহত ৰুজভেল্ট নিৰ্ব্বাচনত জিকিছে। তিনিখন দেশতে প্ৰায় এক শ্ৰেণীৰলোকে এওঁলোকৰ পিচত থাকি সহায় কৰিছে। এই শ্ৰেণীটো হৈছে নিম্নতৰ মধ্যবিত্ত শ্ৰেণী। আগতে এওঁলোকৰ বহুতেই আন আন দলৰ অন্তৰ্ভুক্ত আছিল। কিন্তু এই তুলনাক আৰু বেচি দূৰলৈ নিব নোৱাৰি,

এওঁলোকৰ ভিতৰত জাতিগত প্ৰভেদ আছে বুলিয়েই কেৱল নহয়—আৰ্থনীতি পৰিস্থিতি যি হৈছে ইংলেণ্ড আৰু আমেৰিকাত সিমান এতিয়াও হোৱা নাই। কিন্তু তাৰ ভিতৰত প্ৰধান কথাটো হ'ল—এই তিনিখন দেশতেই শিল্প প্ৰচেষ্টাৰ কাম বৰ আগবাঢ়ি গৈছে। ঠিক একে ধৰণৰ কিছুমান অৰ্থনৈতিক প্ৰভাৱ এই তিনি দেশৰ ওপৰত পৰিছে। এতেকে ইয়াৰ যি কাৰ্যফল হব তাৰ মাজতো সাদৃশ্য নাথাকি নোৱাৰে। ফ্ৰান্স (বা আন কোনো দেশ) সম্বন্ধে এই কথাটো ইমান প্ৰযোজ্য নহয়—কাৰণ ফ্ৰান্স এওঁলোকৰ তুলনাত এতিয়াও বেছি কৃষি প্ৰধান, শিল্প প্ৰচেষ্টাৰ ফালৰপৰা অতি কম উন্নত দেশ।

১৯৩৩ চনৰ মাৰ্চ মাহৰ প্ৰথম ফালে ৰুজভেল্টে প্ৰেচিডেণ্ট হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰিলে। প্ৰায় তাৰ লগে লগেই এটি বৰ ডাঙৰ বেঙ্ক সংকটে দেখা দিলে। বাণিজ্য সংকটতো আছিলেই, তাৰ উপৰিও এই উপদ্ৰৱ বিপদে আহি দেখা দিলে। ইয়াৰ কেই সপ্তাহমান পিছত ৰুজভেল্টে, তেওঁ যেতিয়া কাৰ্যভাৰ গ্ৰহণ কৰিলে দেশৰ তেতিয়া কি অৱস্থা আছিল তাৰ এটি বৰ্ণনা দিলে, কলে—দেশখন তেতিয়া তিল তিলকৈ মৰিব ধৰিছিল।

ৰুজভেল্টে পলম নকৰাকৈ কামত লাগি গল। বেগী আৰু নিশ্চিত তেওঁৰ কৰ্ম্ম নীতি। আমেৰিকাৰ কংগ্ৰেছৰ ওচৰত তেওঁ এনে ক্ষমতা বিচাৰিলে, যাৰ দ্বাৰা বেঙ্ক, শিল্প আৰু কৃষিক তেওঁ নিয়ন্ত্ৰিত কৰিব পাৰে। কংগ্ৰেছ সংকটৰ মেঁচাত কি কৰো কি নকৰো অৱস্থাত পৰিছিল, তাৰ উপৰি ৰুজভেল্টৰ প্ৰতি দেশৰ জনসাধাৰণৰো ইমান বেছি আস্থা, ভাবিচিন্তি কংগ্ৰেছে ৰুজভেল্টক সেই ক্ষমতা দি দিলে। ৰুজভেল্ট প্ৰকৃততে হৈ পৰিল দেশৰ ডিক্টেটৰ (অৱশ্যে প্ৰজাতন্ত্ৰী) দেশৰ সকলো প্ৰজাই আশা ভৰা চকুৰে তেওঁৰ ফালে চাই থাকিল, তেওঁ সোনকালে কাৰ্যকৰী ব্যৱস্থা হাতত লওক, সৰ্বনাশৰ পৰা তেওঁলোকক ৰক্ষা কৰক। ৰুজভেল্টে সঁচাকৈয়ে বিজুলী বেগেৰে কাম আৰম্ভ কৰি দিলে, কেই সপ্তাহমানৰ ভিতৰতেই তেওঁৰ কাৰ্যকলাপ দেখি গোটেই যুক্তৰাষ্ট্ৰৰ ভ্ৰম ভাগিল। তেওঁৰ ওপৰত যি শ্ৰদ্ধা মানুহৰ আছিল সিও বাঢ়ি গ'ল।

প্ৰেছিডেণ্ট ৰুজভেল্টে বিবোৰ সিদ্ধান্ত লৈছিল, তাৰ ভিতৰত কেইটামান হ'ল—

(১) স্বৰ্ণমান তেওঁ এৰি দিলে, ডলাৰৰ মূল্য কমিবলৈ দিলে, ইয়াৰ ফলত ধৰুৱাৰ ধাৰৰ বোজা কমি গ'ল। ই এটা মুদ্ৰাস্ফীতিৰ কথা।

(২) চৰকাৰী অৰ্থ সাহায্য দি কৃষকসকলৰ দুৰ্দশাৰ প্ৰতিকাৰ কৰিলে। কৃষিৰ অৰ্থ সাহায্য দিয়াৰ মানসে এটা বিৰাট ঋণ দিয়াৰ ব্যৱস্থা কৰিলে এই ঋণৰ পৰিমাণ ২,০০,০০,০০০ ডলাৰ।

(৩) বন বিভাগৰ কাৰণে আৰু বাণপানী নিবাৰণৰ কাৰণে অবিলম্বে ২,৫০,০০০ শ্ৰমিকক কামত ভৰ্ত্তি কৰি ললে। এইটো কৰা হ'ল নিবনুৱা সমস্যাৰ অলপ সাৰ কটোৱাৰ উদ্দেশ্যে।

(৪) নিবনুৱা সকলক সহায় কৰিবৰ কাৰণে তেওঁ কংগ্ৰেছৰ ওচৰত ৮০,০০,০০,০০ ডলাৰ বিচাৰিলে। কংগ্ৰেছে টকা মঞ্জুৰ কৰিলে।

(৫) জনসাধাৰণক চাকৰি দিবৰ বাবে চৰকাৰী কামকাজ কৰিব ধৰি তেওঁ

এটি বিৰাট পৰিমাণৰ পুঁজি বেলেগ কৰি ৰাখিলে। এই টকাৰ পৰিমাণ প্ৰায় ৩,০০,০০,০০০ ডলাৰ, এই টকাৰ ধাৰ কৰি তুলিব লাগিব।

(৬) 'মদখোৱা নিষেধ' কৰা আইনখন তেওঁ লৰালৰিকৈ উঠাই দিলে।

এই বিপুল পৰিমাণৰ টকা সকলো খিনি যোগাৰ কৰিব লাগিব ধনী সকলৰ-পৰা ধাৰ কৰি। ৰুজভেল্টৰ গোটেই নীতিটোৱে আছিল আৰু এতিয়াও হৈছে প্ৰজাসকলৰ কিনা শক্তি বঢ়োৱা। তেওঁলোকৰ হাতত টকা থাকিলে তেওঁলোকে বস্তু কিনিব, বাণিজ্য সংকট আপোনা আপুনি কমি যাব। এই উদ্দেশ্যকে লৈ তেওঁ বিৰাট চৰকাৰী কাম-কাজৰ পৰিকল্পনা কৰিলে, যত শ্ৰমিকসকলে কাম পাব, টকা আয় কৰিব পাৰিব। এই উদ্দেশ্যকে লৈ তেওঁ বনুৱাৰ মজুৰি বঢ়াই দিবলৈ আৰু খাটনিৰ সময় কমাই দিবলৈ চেষ্টা কৰিছে। দিনে প্ৰতি খাটনিৰ সময় কমাই দিলে আৰু বেছি মানুহে চাকৰি পাবৰ সুবিধা হব।

সংকট আৰু দৰ পৰি যোৱাৰ সময়ত কাৰখানাৰ মালিকসকলে সাধাৰণতে যি ৰীতি অৱলম্বন কৰে ৰুজভেল্টৰ এই নীতি তাৰ সম্পূৰ্ণ বিপৰীত। এওঁলোকে প্ৰায় সকলোতে চেষ্টা কৰে মজুৰি হাৰ কমাই দিবলৈ আৰু কামৰ সময় বঢ়াই দিবলৈ, যাতে তাৰ ফলত বস্তুৰ উৎপাদন ব্যয় আৰু কমাব পাৰি। ৰুজভেল্টে কিন্তু কৈছে বেছিকৈ বস্তুৰ উৎপাদন যদি আকৌ আৰম্ভ কৰিবলৈ বিচাৰে তেন্তে আমাৰ সেই বস্তু কিনাৰ সামৰ্থও জনসাধাৰণক যোগাব লাগিব, তাকে কৰাৰ উপায় হৈছে ব্যাপক ভাৱে উচ্চহাৰৰ মজুৰি দিয়া।

ৰুজভেল্ট চৰকাৰে চোভিয়েট ৰুছিয়াক ধাৰ দিছিল, সেই অৰ্থেৰে আমেৰিকাৰ পৰা তুলা কিনিবৰ বাবে। এই দুই চৰকাৰৰ ভিতৰৰ বেছি ধৰণে বস্তু বিনিময়ৰ ব্যৱস্থা কৰিব পৰা যায় নে নাযায় তাকে লৈও দুই চৰকাৰৰ মাজত আলোচনা চলিছে।

আমেৰিকা ইমান দিনে আছিল একেবাৰে পুঁজিবাদী দেশ, সম্পূৰ্ণ আৰু অবাধ প্ৰতিযোগিতাৰ স্থল—যাক কয় 'ব্যক্তিতন্ত্ৰী' দেশ। ৰুজভেল্টৰ নতুন কৰ্মনীতি ইয়াৰ লগত খাপ খোৱা নাই। কাৰণ ব্যৱসায়ৰ ক্ষেত্ৰত এওঁ বহুৰকমে হস্তক্ষেপ কৰিছে। কাৰ্যত তেওঁ শিল্প ব্যৱসায়ৰ ওপৰত ৰাষ্ট্ৰৰ বহুখিনি নিয়ন্ত্ৰণ ক্ষমতা প্ৰৱৰ্তন কৰিছে। অৱশ্যে তেওঁ নিজে ইয়াক আন নামেৰে চিনাকি দিয়ে। আচলতে ই একপ্ৰকাৰ ৰাষ্ট্ৰৰ আয়ত্তত থকা সমাজতন্ত্ৰ, শ্ৰমৰ সময় আৰু নীতি নিয়ন্ত্ৰিত কৰি দিয়া, শিল্প ব্যৱসায়ক নিয়ন্ত্ৰিত কৰা আৰু আত্মঘাতী প্ৰতিযোগিতা নিবাৰণ কৰা। ৰুজভেল্টে ইয়াৰ সম্বন্ধে কৈছে "সকলোৱে এটা হৈ পৰিকল্পনা কৰা, আৰু সেই পৰিকল্পনা কাৰ্যত পৰিণত কৰা।"

আমেৰিকাৰ জাতীয় বিশেষত্ব হৈছে তাৰ উৎসাহ আৰু উদ্যম। এই কাৰণেই তাৰ পূৰ্ণ পৰিচয় পোৱা গ'ল। শিশু শ্ৰমিক নিয়োগ বন্ধ কৰা হৈছে (১৬ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীবোৰক শিশু বুলি গণ্য কৰা হয়)। বেছি মজুৰি দিয়া, আৰু কামৰ সময় কমোৱা এৰে হৈছে এওঁলোকৰ ধ্বনি। শুনা যায় যে মজুৰী বঢ়োৱাৰ কাৰণে এওঁলোকে বিৰাট অভিযান চলাইছে। টকা আহাজেৰে দেশৰ ইমূৰৰ পৰা সিমূৰলৈকে মালিক সকলৰ বাইজলৈ গোহাৰি ছপাই বিতৰণ কৰা

হৈছে। বৰ নম্ৰ ভাষাৰে অনপ শাসনৰ ভাবুকিও দি এই জানুৱাৰীবোৰত কোৱা হৈছে যদি শিল্প প্ৰতিষ্ঠানবোৰে নিজে এটি উচিত কাৰ্যকৰী তৈয়াৰ ক'ৰি দিব। মালিক সকলক ব্যক্তিগতভাৱে একোখন প্ৰতিশ্ৰুতি পত্ৰত চহী কৰিবলৈ কোৱা হৈছে, তাত তেওঁলোকৰ কৰ্মচাৰী আৰু শ্ৰমিকসকলৰ বেতন বঢ়াব, কামৰ সময় কমাই দিব; এনে ধৰণৰ প্ৰতিশ্ৰুতিৰ কথা লেখা আছে। যিসকল মালিকে এই বিষয়ত নিজৰ পৰাই আগবঢ়ুৱা হৈছে তেওঁলোকক একোটাকৈ সন্মানসূচক পদক উপহাৰ দিব খোজা হৈছে। যিসকল পিচপৰি থাকিব, তেওঁলোকক লাজ দিবৰ কাৰণে এই সন্মানিত লোকসকলৰ নামৰ এখন তালিকা প্ৰত্যেক চহৰৰ ডাকঘৰত আঁৰি থোৱা হব। এইবোৰ ব্যৱস্থা লোৱাৰ ফলত দাম-দৰ আৰু বাণিজ্যৰ ক্ষেত্ৰত স্পষ্টভাৱে উন্নতি হ'ল। কিন্তু বিশেষ মন কৰিবলগীয়া উন্নতি হ'ল ব্যৱসায়িক ভাৱে আৰু নৈতিকতাৰ উন্নতি। পৰাজয়ৰ ভাব বহুতখিনি গুচিল আৰু সৰহ সংখ্যক মানুহৰ বিশেষকৈ মধ্যবিত্ত শ্ৰেণীৰ—প্ৰেচিডেণ্ট ৰুজভেল্টৰ ওপৰত থকা আস্থা সুদৃঢ় হৈ উঠিল। গৃহযুদ্ধৰ গুৰুতৰ সংকটৰ সময়ত কাৰ্যভাৰ লোৱা আমেৰিকাৰ মহান বীৰপুৰুষ প্ৰেচিডেণ্ট লিংকনৰ লগত তেওঁক তুলনা কৰিবলৈ লোৱা হ'ল।

আনকি য়ুৰোপৰ মানুহেও তেওঁৰ ওপৰত ভৰসা ৰাখিলে, অৰ্থনৈতিক সংকটৰ বিৰুদ্ধে তেওঁ পৃথিৱীত নেতৃত্ব কৰিব বুলি আশা কৰা হ'ল। কিন্তু বিশ্ব-অৰ্থনৈতিক সন্মিলনত আন আন দেশৰ প্ৰতিনিধিসকলৰ মাজত তেওঁ অপ্ৰিয় হৈ উঠিল—কিয়নো তেওঁৰ দেশৰ প্ৰতিনিধিসকলক তেওঁ এই বুলি নিৰ্দেশ দিলে যে সোণৰ মানত ডলাৰৰ মূল্য বান্ধি দিয়াত বা ৰাখিব যুক্তৰাষ্ট্ৰ হাতত লোৱা তেওঁৰ ডাঙৰ ডাঙৰ আঁচনিৰ কামত বাধা জন্মাব পৰা কোনো কথাতে সন্মতি জনাব নেলাগে।

ৰুজভেল্টৰ নীতিটো হৈছে অৰ্থনৈতিক জাতীয়তাবাদৰ নীতি। আমেৰিকাৰ অৱস্থাৰ উন্নতিটো এয়ে তেওঁৰ দৃঢ়সংকল্প। য়ুৰোপৰ কোনো কোনো দেশে এইটো ভাল পোৱা নাই, বিশেষকৈ বেঙ্কৰ মালিকসকল ইয়াৰ প্ৰতি অসন্তুষ্ট আছিল। বৃটিছ চৰকাৰেও ৰুজভেল্টৰ প্ৰগতিশীল প্ৰবৃত্তি অনুমোদন নকৰিলে। তেওঁলোকে বিচাৰে ডাঙৰ ব্যৱসায়।

তথাপি বিশ্বৰাজনীতিৰ কথাতো প্ৰাক্তন প্ৰেচিডেণ্টসকলৰ তুলনাত ৰুজভেল্টে বহুখিনি সক্ৰিয় অংশ গ্ৰহণ কৰে। নিৰস্ত্ৰীকৰণ সমস্যা আৰু আন আন আন্তৰ্জাতিক সমস্যা সম্পৰ্কে তেওঁৰ মনোভাৱ ইংলণ্ডৰ তুলনাত বহুত বেছি স্পষ্ট আৰু আশকা বিধৰ। হিটলাৰক তেওঁ যি তীব্ৰ ভাষাত সাৱধানবাণী শুনাই দিছিল তাৰ ফলতেই হিটলাৰে তেওঁৰ তৰ্জন-গৰ্জন কমাই দিছিল। চোভিয়েট ৰুচিয়াৰ লগতো তেওঁ সংস্ৰৱ স্থাপন কৰিছে।

আমেৰিকাও, আৰু আন ঠাইতো যি ডাঙৰ প্ৰশ্ন মানুহৰ মনত উদয় হৈছে সেইটো হৈছে—ৰুজভেল্টৰ চেষ্টা জানো সফল হব? পুঁজিবাদক ৰখাই ৰাখিবলৈ এটা যথোচিত অৰ্থ হব তেওঁৰ ব্যৱসায়ীসকলৰ নিয়ন্ত্ৰণ লোৱা, ডাঙৰ ব্যৱসায়ীসকলে সেইটো বিনা প্ৰতিবাদে মানি লব এইটো একেবাৰে সম্ভৱ নহয়।

আমেৰিকাৰ ডাঙৰ ব্যৱসায়ী সকলেই বৰ্ত্তমান পৃথিৱীৰ আটাইতকৈ শক্তিশালী ন্যস্ত স্বাৰ্থৰ দল। কেৱল ৰুজভেল্টৰ আদেশ শুনিয়েই এইবোৰ সুবিধা আৰু ক্ষমতা তেওঁলোকে সহজে এৰি দিয়া কঠিন। বৰ্ত্তমান তেওঁলোক মনে মনে আছে, কাৰণ জনমতৰ গতি, আৰু প্ৰেচিডেণ্টৰ জনপ্ৰিয়তা দেখি তেওঁলোক অলপ থমকি গৈছে। তেওঁলোকে সুযোগৰ বাবে বাট চাই আছে। কেইবাহবানৰ ভিতৰতে বিশেষ উন্নতি নহলে জনমত ৰুজভেল্টৰ বিপক্ষে যাব আৰু তেতিয়াই বৃহৎ ব্যৱসায়ীমহলে স্বৰূপ প্ৰকাশ কৰিব।

বিজ্ঞ লোকসকলৰ বহুতে কৈছে প্ৰেচিডেণ্ট ৰুজভেল্ট অসম্ভৱ সাধনৰ কাৰণে ব্ৰতী হৈছে। এই ব্ৰত তেওঁৰ কেতিয়াও সফল হব নোৱাৰে। যদি এই ব্ৰত বিফল হয় তেন্তে প্ৰধান ব্যৱসায়ীসকল আকৌ প্ৰবল হৈ উঠিব হয়তো আগতকৈও এইবাৰ তেওঁলোকৰ শক্তি বাঢ়িব। তাৰ কাৰণ ৰাষ্ট্ৰৰ আয়ত্তৰ সমাজতন্ত্ৰৰ প্ৰতিষ্ঠাৰ যি আয়োজন ৰুজভেল্টে কৰিছে সেইটোকেই তেতিয়া ডাঙৰ ব্যৱসায়ী সকলে তেওঁলোকৰ ব্যক্তিগত লাভ আহৰণৰ কামত লগাব। আমেৰিকাত শ্ৰমিক আন্দোলন শক্তিশালী নহয় তাকে সহজে ধ্বংস কৰিব পৰা যাব।

মন্তব্য:—প্ৰেচিডেণ্ট ৰুজভেল্টে সংকটৰ পৰা মুক্ত হোৱাৰ আৰু পুঁজিবাদৰ নতুন অৱস্থাৰ লগত সামঞ্জস্য ৰাখি চলোৱাৰ যি প্ৰচেষ্টা চলাইছে, সেইটো আংশিক-ভাৱে সফল হৈছে, যদিও কোনো মৌখিক পৰিবৰ্তন হোৱা নাই। অৱস্থাৰ উন্নতি হৈছিল। মূলতঃ এই প্ৰচেষ্টাৰ ভেটি আছিল, সাহায্য দানৰ বিৰাট পৰিকল্পনা। সৰহ মজুৰী দিবলৈ আৰু কামৰ সময় কমাই দিবলৈ মালিকসকলক সন্মতি কৰি উদ্যোগৰ লাভৰ এটা অংশ বণুৱাসকলক দিয়াৰ বাবে চেষ্টা কৰা হৈছিল। মালিক-সকল বিশেষকৈ ফোৰ্ডে এইটো তেওঁলোকৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ বুলি প্ৰতিবাদ কৰিলে। শিল্প আৰু কৃষিৰ কাৰণে কৰা বিধি ব্যৰ্থ হৈ গ'ল। আৰু বহুত ধৰ্মঘট হল। আমেৰিকাৰ শ্ৰমিকসকল বেছি শক্তিশালী আৰু সচেতন হৈ উঠিল; আৰু নতুন ভাবধাৰাৰে অনুপ্ৰাণিত হ'ল। শ্ৰমিক সংঘৰ সংখ্যা বাঢ়ি গ'ল। অৰ্থনৈতিক সংস্কাৰ পুনৰ উন্নয়নৰ লগে লগে ডাঙৰ ডাঙৰ শিল্পপতি সকলে ৰুজভেল্টক প্ৰতিৰোধ কৰিলে। 'জাতীয় পুনৰুত্থান আইন' আৰু কৃষি 'সংক্ৰান্ত সামঞ্জস্য বিধান আইন' নামৰ ৰুজভেল্টে প্ৰণয়ন কৰা আইন দুখনৰ কাৰ্যকৰী উপধাৰাবোৰৰ প্ৰায় সকলোটিকে শাসনতন্ত্ৰ বিৰোধী বুলি উচ্চতম ন্যায়ালয়ে ঘোষণা কৰাত এইবোৰ কামত নলগা হ'ল। এই ভাৱেই ৰুজভেল্টৰ নব বিধান (New deal) ব্যৰ্থ হ'ল।

১৯৩৬ চনৰ বিপুল ভোটাধিক্যৰে ৰুজভেল্ট দ্বিতীয়বাৰৰ কাৰণে প্ৰেচিডেণ্ট নিৰ্বাচিত হ'ল। ডাঙৰ ডাঙৰ শিল্প বাণিজ্য প্ৰতিষ্ঠানৰ লগত তেওঁৰ দ্বন্দ এতিয়াও চলিছে। কংগ্ৰেছ আৰু এতিয়া তেওঁৰ প্ৰস্তাৱত মাথি বহু বিষয়ত কংগ্ৰেছে তেওঁৰ বিৰোধিতা কৰিছে।

১৯৩

পাৰ্লিয়ামেণ্টৰী প্ৰথাৰ ব্যৰ্থতা

৬ আগষ্ট, ১৯৩৩

সম্প্ৰতি যিবোৰ ঘটনা ঘটিছে আমি তাৰ অলপ বিশদ আলোচনাকে কৰোঁ। আমাৰ এই পৰিবৰ্ত্তনশীল জগতত যিবোৰ শক্তি আৰু প্ৰবৃত্তিয়ে কাম দিছে—বহুতৰে কথা বিচাৰ কৰি চালো। ইয়াৰ ভিতৰত যি তথ্য মোৰ বিশেষকৈ চকুত পৰে তাৰ ভিতৰত দুটি কথা আছে—সেইবোৰৰ নাম মই আগতে কৈছোঁ—তথাপি তাক লৈ আৰু অলপ আলোচনা কৰা দৰকাৰ। এই দুটাৰ ভিতৰত এটা হৈছে যুদ্ধোত্তৰ যুগত শ্ৰমিক আন্দোলন আৰু পুৰণি ধৰণৰ সমাজতন্ত্ৰৰ ব্যৰ্থতা। আনটো হৈছে পাৰ্লিয়ামেণ্টবোৰৰ ব্যৰ্থতা শক্তি হানি।

১৯১৪ চনত বিশ্বযুদ্ধ যেতিয়া আৰম্ভ হ'ল শ্ৰমিক সংগঠনবোৰৰ শক্তি তেতিয়া কমি আহিল। দ্বিতীয় আন্তৰ্জ্জাতিক ভাঙি টুকুৰা টুকুৰ হ'ল। ইয়াৰ কথা মই তোমাক কৈছোঁ। ইয়াৰ মূলতে আছিল যুদ্ধৰ আকস্মিক আবিৰ্ভাৱ। যোৱা চাৰিবছৰে আকৌ আৰু এটা ঘটনা ঘটিছে, সেইটো ইয়াত কৈ একেবাৰে অন্য বস্তু, আৰু ইয়াতকৈ শিক্ষণীয়া বেছি কথা তাত আছে। এই চাৰিবছৰ ধৰি পৃথিৱী জুৰি চলিছে বাণিজ্য সংকট, পুঁজিবাদী পৃথিৱীৰ ইতিহাসত ইমান ডাঙৰ সঙ্কট আৰু কেতিয়াও দেখা নাযায়। ইয়াৰ ফলত শ্ৰমিকসকলৰ মাজত কোনো বিপ্লৱ চেতনা জাগি উঠা নাই। বিশেষকৈ ইংলেণ্ড আৰু যুক্তৰাষ্ট্ৰত ইয়াৰ কোনো আভাস পোৱা নগ'ল।

পুৰণি ধৰণৰ পুঁজিবাদত ভাঙন ধৰাটো সুস্পষ্ট হৈছে। উদ্দেশ্যমূলক ভাৱে কবলৈ গলে অৰ্থাৎ বাহিৰৰ কামৰ তথ্যবোৰলৈ চাই সমাজবাদী অৰ্থনীতিৰ ফাললৈ পৰিবৰ্ত্তন ঘটাৰ কাৰণে উপযুক্ত অৱস্থা এটাৰ সৃষ্টি হৈছে। কিন্তু দেখা হোৱাটো কিসকল লোকে আটাইতকৈ বেছিকৈ বিচাৰিব পাৰে সেইসকলৰ অৰ্থাৎ মজুৰসকলৰ সৰহভাগৰে বিপ্লৱৰ মনোভাব নাই। আমেৰিকাৰ ধনশালী বৌদ্ধিক-সকলৰ মাজত বৰঞ্চ বেছি পৰিমাণে বিপ্লৱী মনোভাব পৰিলক্ষিত হয়; তদুপৰি মই বাৰেপতি উল্লেখ কৰি আহিছোঁ যে সকলো ঠাই দেশতে নিম্ন মধ্যবিত্ত শ্ৰেণীৰ মাজতো এই মনোভাব দেখা যায়—তেওঁলোকে মজুৰ সকলোতকৈ বেটি উগ্ৰ। তাকে আটাইতকৈ বেছি বেয়া দেখা যায় জাৰ্মানীত, ইংলেণ্ডত, মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু আন আন ঠাইত দেখা যায়। জাতীয় বৈশিষ্ট্যৰ বাবে আৰু সকলোৰ মূল বিভিন্ন পৰ্য্যায়ত থকা বাবে মাত্ৰাৰ তাৰতম্য ঘটে।

যুদ্ধৰ পিছত প্ৰথম কেইবছৰমান শ্ৰমিকসকলৰ মাজত উগ্ৰতা আৰু বিপ্লৱী মনোভাৱ দেখিছিলো, সেইবোৰৰ কি হ'ল ? শ্ৰমিকসকল কিয় এনে নিস্তব্ধ, নিশ্চল হৈ গৈছে—ভাগ্যত যি আছে তাকেই কিয় মানিবলৈ ৰাজী হৈছে ? জাৰ্মাণীৰ চছিয়েল ডেমক্ৰেট দল আত্মৰক্ষাৰ কাৰণে অকণো চেষ্টা নকৰি ভাগি পৰিল। নাজীসকলে তেওঁলোকক চূৰ্ণ কৰি দিছে দেখিও কোনো প্ৰতিবাদ নকৰিলে কিয় ? ইংৰাজৰ বনুৱা ইমান নৰমপন্থী আৰু প্ৰতিক্ৰিয়াশীল কিয় ? আমেৰিকাৰ বনুৱা তাতোকৈ বেছি কিয় ? অযোগ্যতাৰ বাবে আৰু বনুৱা শ্ৰেণীৰ স্বাৰ্থৰ প্ৰতি বিশ্বাস ঘাটকতা কৰা বুলি বনুৱা নেতাসকলক প্ৰায়ে দোষ দিয়া হয়। তেওঁলোকৰ বহুতৰ নিশ্চয় এই দোষ আছে। দলৰপৰা এৰা দি বনুৱা আন্দোলনৰ জখলাইদি উঠি ব্যক্তিগত আকাঙ্খা পূৰণ কৰা দেখিলে দুখ লাগে। সকলো ক্ষেত্ৰৰ কাৰতে মানুহৰ মাজত সুবিধাবাদী মনোভাৱ দেখা যায়। কিন্তু দলিত আৰু যাতনাক্লিষ্ট লাখ লাখ লোকৰ আশা আদৰ্শ আৰু ত্যাগৰ সুযোগ লৈ স্বাৰ্থ পূৰণ কৰাটো অতিশয় দুখৰ কথা। নেতাসকলৰ হয়তো দোষ আছে। কিন্তু নেতাসকলোতো অৱস্থা-ৰেইহে সৃষ্টি। সাধাৰণতে দেখা যায় দেশৰ প্ৰকৃতি অনুসৰি যি ধৰণৰ শাসক তাৰ উপযুক্ত তেনে শাসকেই আহি ভাগ্যত মিলে। আচল কথা হৈছে এইবোৰ সাম্ৰাজ্যবাদী দেশৰ শ্ৰমিক নেতাসকলে বা তেওঁলোকৰ অনুগামীসকলে কোনেও সমাজতন্ত্ৰ বাদক এটা জীৱন্ত মতবাদ বুলি গ্ৰহণ কৰা নাই—অবিলম্বে ইয়াৰ আৰম্ভ কৰিবলৈ বিচাৰে এনে কামনাত তেওঁলোকৰ মনত উদয় হোৱা নাই। এওঁলোকৰ সমাজতন্ত্ৰবাদ পুঁজিবাদী ব্যৱস্থাৰ লগত ৰব বেছি ৰকমে শাওঁৰ খাই পৰিছিল, মিলি গৈছিল। উপনিবেশৰ যি শোষণ চলিছে তাৰ লাভৰ এটি অংশ এওঁলোকৰ হাততো পৰিছিলহি। জীৱনযাত্ৰাৰ মান উচ্চ কৰাৰ কথাত এওঁলোকে পুঁজিবাদৰ অস্তিত্বৰ ওপৰতেই নিৰ্ভৰ কৰি চলিছিল। সমাজতন্ত্ৰবাদ এওঁলোকৰ পক্ষে হ'ল এটি দুৰণিৰটীয়া আদৰ্শ। এটা স্বপুৰ স্বৰ্গলোক, ই ভবিষ্যতৰ বস্তু, বৰ্তমানৰ নহয়। স্বৰ্গৰ সেই পুৰণি কল্পনাৰ দৰেই ইয়াৰ নামটোও হৈ পৰিল পুঁজিবাদী সকলৰেই স্বাৰ্থসিদ্ধৰ উপায়।

এই কাৰণেই এই গোটেই শ্ৰমিক দল, ট্ৰেড ইউনিয়ন, চছিয়েল ডেমক্ৰেট দল, দ্বিতীয় আন্তৰ্জাতিক আৰু এই শ্ৰেণীৰ আন আন প্ৰতিষ্ঠানসমূহে থকাটোৱেই কেৱল সংস্পৰ্শৰ সৰু সৰু কথালৈ বৰ ব্যস্ত হৈ থাকিল পুঁজিবাদৰ গাথনিৰ গাত কেতিয়াও অলপো হস্তক্ষেপ নকৰিলে। এওঁলোকৰ আদৰ্শবাদ কথাত হেৰাই গ'ল। সত্তাবিহীন আৰু প্ৰকৃত শক্তি থকা বিৰাট আমোলাতান্ত্ৰিক সংগঠন ৰূপে এইবোৰে গঢ় ললে।

নৱজাত কমিউনিষ্ট দলৰ অৱস্থা আছিল অন্য ধৰণৰ। শ্ৰমিকসকলৰ কাৰণে এটি নতুন বাণী এওঁলোকে বহন কৰি আনিছিল। তেওঁলোকৰ জীৱনযাত্ৰাৰ লগত এওঁলোকৰ যোগাযোগ বহুত বেছি, তাৰ আহ্বানৰ জোৰো বৰ প্ৰবল। সেই বাণীৰ পিছত আছিল চিত্তাকৰ্ষক পটভূমি—চোভিয়েট ইউনিয়নৰ দৃষ্টান্ত। অথচ এই আহ্বানতো সহাৰি যুঠেই পোৱা নগ'ল। ইউৰোপ বা আমেৰিকাৰ বনুৱা ইয়াৰ ফালে আকৃষ্ট নহ'ল। ইংলেণ্ড আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰত এওঁলোক অতিদুৰ্বল। ফ্ৰান্স আৰু জাৰ্মাণীত অলপ শক্তি আছিল কিন্তু তাৰ পৰা একো সুবিধা আদায়

কৰি লব নোৱাৰিলে বিশেষকৈ জাৰ্মানীত। আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত দুটা প্ৰকাণ্ড পৰাজয় ইয়াৰ ঘটিছে, এবাৰ চীনত ১৯২৭ চনত আৰু এবাৰ জাৰ্মানীত ১৯৩৩ চনত। অথচ এই বাণিজ্য সঙ্কট যুগত, যেতিয়া পৃথিৱীত বাৰে বাৰে সঙ্কট দেখা দিছে, শ্ৰমিকসকলে কম মজুৰী পাইছে, নিবনুৱা হৈ আছে, এই সময়তো কমিউনিষ্ট দল একোতেই উঠিব নোৱাৰিলে কিয়? কিয় সেইটো কোৱা টান। কোনো কোনোৱে কয় ইয়াৰ কাৰণে দায়ী কেৱল তেওঁলোকৰেই পৰিচালনাৰ ভুল, কৰ্মনীতিৰ ভুল পথ। আনসকলে কয় কমিউনিষ্ট দলৰ লগত চোভিয়েট চৰকাৰৰ সম্পৰ্ক বৰ ঘনিষ্ঠ আছিল—যেয়ে যিমানখিনি আন্তৰ্জাতিক ৰূপ এওঁলোকৰ কৰ্মনীতিৰ থকা উচিত আছিল সিমানখিনি নাছিল। সেই কৰ্মনীতিৰ মাজত বহুখিনি আছিল চোভিয়েট চৰকাৰৰ নিজস্ব জাতীয় নীতি। সেইটো হব পাৰে, কিন্তু এইটোৱেই সন্তোষজনক ব্যাখ্যা বুলি কব নোৱাৰি।

কমিউনিষ্ট দল বুলিলে যি বুজায়-শ্ৰমিকসকলৰ মাজত ইয়াৰ তেনে প্ৰতিষ্ঠা নহ'ল। কিন্তু কমিউনিজিমৰ মতবাদবোৰ ব্যাপকভাৱে সিচৰিত হৈ পৰিল। বিশেষকৈ বুদ্ধিজীৱী শ্ৰেণীবোৰৰ মাজত। পৃথিৱীৰ সকলোতে, আনকি পুঁজিবাদৰ যিসকল সমৰ্থক তেওঁলোকৰ মনতো এটা ভয় জাগি উঠিছিল এই সঙ্কটৰ ফলত হয়তো কোনো প্ৰকাৰৰ কমিউনিজিমৰ প্ৰতিষ্ঠাই অপৰিহাৰ্য হৈ পৰিব। পুৰণি ধৰণৰ পুঁজিবাদৰ দিন উকলিল বুলি সাধাৰণতে মানি লোৱা হৈছিল। মিছা ধন সংগ্ৰহৰ এই নীতি, ব্যক্তিগত লাভৰ অন্বেষণৰ এই নীতি; যাৰ কতো কোনো সুসংহত পৰিকল্পনা নাই, আবিৰ্ভাৱেই যাৰ বিশেষত্ব, ই এইবাৰ যাবই লাগিব। ইয়াৰ ঠাই প্ৰতিষ্ঠিত কৰিব লাগিব এটা সুপৰিকল্পিত সমাজতন্ত্ৰী ব্যৱস্থা বা সমবায় ব্যৱস্থা। কিন্তু তাৰ ফলতে মজুৰা শ্ৰেণীৰ জয় হোৱা বুলি ধৰিব নোৱাৰি। কিয়নো মালিক শ্ৰেণীৰ উপকাৰ হব পৰা ধৰণে অৰ্দ্ধসমাজবাদী আৰ্হিতো ৰাষ্ট্ৰ চালিত হব পাৰে। ৰাষ্ট্ৰৰ আয়ত্তাধীন সমাজতন্ত্ৰ আৰু ৰাষ্ট্ৰৰ আয়ত্তাধীন পুঁজিবাদ আচলতে প্ৰায় একে বস্তু। আচল কথাতো হৈছে সেই ৰাষ্ট্ৰক চলাইছে কোনে, তাৰ পৰা লাভেই বা হৈছে কাৰ—সমগ্ৰ সমাজৰ নে বিশেষ এটা শ্ৰেণীৰ।

বুদ্ধিজীৱীসকলে এইবোৰ তৰ্ক-বিতৰ্ক কৰিব ধৰিলে; ইফালে পাশ্চাত্য জগতৰ শিল্পতন্ত্ৰী দেশসমূহত নিম্নতৰ মধ্যবিত্ত শ্ৰেণীটোৱে বা বুৰ্জোৱাসকল কামত লাগি গ'ল। এই শ্ৰেণীবোৰৰ মনত এটা ধাৰণা আছিল যে পুঁজিবাদ আৰু পুঁজিপতিসকলে তেওঁলোকক শোষণ কৰি দিছে। এওঁলোকৰ প্ৰতি অলপ বিদ্বেষৰ ভাৱো তেওঁলোকৰ আছিল। কিন্তু ইয়াতকৈও তেওঁলোকে ভয় কৰিছিল শ্ৰমিক শ্ৰেণীক কমিউনিষ্টসকলে যদি ক্ষমতা দখল কৰি লয় তেতিয়া কি হব? এই যে ফেচিজিমৰ ঢৌ উঠিল পুঁজিপতিসকলে সাধাৰণতে ইয়াৰ লগতে এটা মিতিৰালি কৰি ললে। কাৰণ তেওঁলোকে বুজিব পাৰিছিল, কমিউনিজিমৰ প্লাৱনক বাধা দিবৰ কাৰণে ইয়াৰ বাহিৰে আন উপায় নাই। কমিউনিজিমৰ ভয়ত যিসকল লেপুচা লাগিছিল তেওঁলোক প্ৰায় সকলোৱেই আহি এই ফেচিজিমৰ লগত মিত্ৰতা স্থাপন কৰিলে। এইদৰে যতেই পুঁজিবাদ বিপদত পৰিছে, কমিউনিজিমৰ আবি-

ৰ্ত্তাৰ আসন্ন বুলি জানিছে, তাতেই কেচিজিমৰ অলপ আচৰণ প্ৰতিষ্ঠা হৈছে। এই দুই ব্যৱস্থাৰ মাজত পৰি পালিয়ামেণ্টৰী শাসন ৰীতি ভাগি ছিগি চুৰমাৰ হৈছে।

চিঠিৰ আৰম্ভণিতে দ্বিতীয় যি ডাঙৰ বিষয়টোৰ কথা কৈছিলোঁ ইয়াৰ পৰাই সেই কথাৰ উদয় হৈছে। সেইটো হৈছে পালিয়ামেণ্টৰ ব্যৰ্থতা বা বলহানি। ডিক্টেটৰী শাসন আৰু পুৰণি ধৰণৰ পুঁজিবাদৰ ব্যৰ্থতা সম্বন্ধে আগৰ চিঠিবোৰত বহুত কথা তোমাক কৈছোঁ। এইটো খুব স্পষ্ট হৈ দেখা দিছে ৰুচিয়াত, ইটালীত, মধ্য ইউৰোপত। জাৰ্মানীতো এতিয়া ইয়াৰ প্ৰকাশ দেখা গৈছে। তাত নাৎসী-সকলে শাসন ক্ষমতা দখল কৰি বহাৰ বহুত আগতে পালিয়ামেণ্টৰী শাসন ব্যৱস্থা ভাঙি পৰিছিল। আমি দেখিছোঁ যুক্তৰাষ্ট্ৰতো প্ৰেছিডেণ্ট ৰুজভেল্টৰ হাতত কংগ্ৰেছে সম্পূৰ্ণ ক্ষমতা তুলি দিছে। ফ্ৰান্স আৰু ইংলেণ্ডতো ই ঘটনা ঘটিছে। ইউৰোপৰ ভিতৰত এই দুখন দেশতে গণতন্ত্ৰ সকলোতকৈ বেচি দিন আৰু সকলোতকৈ দৃঢ়ভাৱে প্ৰতিষ্ঠিত হৈ তিষ্ঠি আছিল।

ইংৰাজসকলৰ কামকাজৰ ৰীতি নীতি ইউৰোপ মহাদেশৰ ৰীতি-নীতিৰ সম্পূৰ্ণ বিপৰীত। এওঁলোকে সকলো সময়তে পুৰণি ব্যৱস্থাৰ ৰূপটো ৰাখিবলৈ চেষ্টা কৰে। আৰু সেই দেখি পৰিবৰ্ত্তনবোৰ স্পষ্টভাৱে পৰিলক্ষিত নহয়। তাৰ ফলত দেশৰ মাজত ক'ত কি পৰিবৰ্ত্তন হৈছে সেইটোৰ বাহিৰৰ পৰা বিশেষ একো বুজা নাযায়। সাধাৰণভাৱে যি চাইছে তেওঁলোকৰ মনত হব—বৃটিছ পালিয়ামেণ্ট আগতে যি ধৰণৰ আছিল এতিয়াও ঠিক তেনেদৰেই আছে। আগতে কিন্তু ইয়াৰ বহুখিনি পৰিবৰ্ত্তন হৈছে। আগতে হাউচ অৱ কমন্স পোনপটীয়াভাৱে কৰ্ত্তৃত্ব কৰিছিল, ইয়াৰ সাধাৰণ সভ্য সকলৰো কথাৰ বহুখিনি মূল্য আছিল। এতিয়া মন্ত্ৰীসভা বা চৰকাৰ পক্ষই প্ৰত্যেকটো ডাঙৰ কথাত সিদ্ধান্ত গ্ৰহণ কৰে, হাউচ অৱ কমন্স কেৱল সেই সিদ্ধান্ত সম্পৰ্কে 'হয়'' বা ''নহয়'' কোৱাৰ অধিকাৰী। অৱশ্যে 'নহয়' বুলি কৈ মন্ত্ৰীসকলক গাদীৰপৰা নমাই দিয়াৰ ক্ষমতা তেওঁলোকৰ আছে; কিন্তু সেইটো বৰ ডাঙৰ কথা। ইমান দূৰলৈ যাবলৈ হাউচে সাধাৰণতে নিবিচাৰে। কাৰণ তাকে কৰিবলৈ গলে বহু ৰকমৰ অসুবিধা সৃষ্টি হ'ব। নতুনকৈ সাধাৰণ নিৰ্বাচন পাতিব লাগিব। এতেকে চৰকাৰৰ পক্ষৰ যদি হাউচ অৱ কমন্সত সংখ্যাধিক্য থাকে, তেন্তে ই তেওঁলোকৰ যি ইচ্ছা তাকেই কৰিব পাৰে। তেওঁলোকৰ এই কথাত হাউচৰ সন্মতি আদায় কৰিব পাৰে আৰু এনেদৰে কামটো আইনসঙ্গত কৰি লব পাৰে। এতেকে দেখিছা প্ৰকৃত ক্ষমতা ব্যৱস্থাপক সভাৰ হাতৰপৰা পৰি পৰি কাৰ্যপালিকাৰ হাতলৈ গৈছে এতিয়াও সেয়ে হৈছে। ইয়াৰ ফলত কাৰ্য পালিকাৰ হাতলৈ বিপুল ক্ষমতা আহিছে, সঙ্কটৰ মুহূৰ্ত্তত ই এতিয়া সম্পূৰ্ণ নিজৰ ইচ্ছামতেই কাম কৰিব পাৰে। ৰাষ্ট্ৰৰ বৃহত্তৰ কাৰ্যাৱলীৰ লগত পালিয়ামেণ্টৰ সম্পৰ্ক এইভাৱে ক্ৰমে আৰু ক্ষীণ হৈ আহিছে। ইয়াৰ প্ৰধান কৰ্ত্তব্য এতিয়া কাৰ আহি পৰিছেহি কেৱল চৰকাৰী কাৰ্যকলাপৰ সমালোচনা কৰাত, প্ৰশ্ন আৰু তথ্যৰ বিষয়ে জানিবলৈ প্ৰশ্ন কৰা, আৰু চৰকাৰ পক্ষই যি নীতি সাধাৰণতে কৰি আহিছে সেইবোৰ তাক অনুমোদন কৰা। হেৰল্ড লেস্কিয়ে কৈছে 'আমাৰ ৰাষ্ট্ৰ ব্যৱস্থা এতিয়া পৰিণত হৈছে, কাৰ্যপালিকাৰ ডিক্টেটৰী

আয়োজত পাৰ্লিয়ামেণ্টে বিদ্ৰোহ কৰিব পাৰে এই ভয়তেই যি অলপ সংকট হৈ থাকে।

১৯৩১ চনৰ আগষ্ট মাহত শ্ৰমিক মন্ত্ৰীসভা হঠাৎ ভাঙি গ'ল, এনে অদ্ভুত উপায়েৰে এইটো সংঘটিত হ'ল যে তাৰ পৰাই বুজা যায় যে পাৰ্লিয়ামেণ্টৰ এই বিষয়ত ক্ষমতা কিমান সামান্য আছিল। সাধাৰণতে ইংলেণ্ডৰ মন্ত্ৰীসভাৰ পতন ঘটে, হাউচ অব কমন্সত ই ভোটত হাৰি গৈছে বুলি। ১৯৩১ চনত হাউচৰ আগত ইয়াক লৈ কোনো কথাকে তোলা নহ'ল। কি ঘটিছে তাকো কোনেও নাজানে। প্ৰধানমন্ত্ৰী ৰামজে মেক্ ডোনেল্ডে আন আন দলৰ নেতাসকলৰ লগত অলপ গোপন পৰামৰ্শ কৰিলে, এওঁলোকে ৰজাৰ লগত দেখা কৰিলেগৈ, তাৰ পিছতে পুৰণি মন্ত্ৰীসভা হঠাৎ অদৃশ্য হৈ গ'ল., নতুন এটা মন্ত্ৰীসভাৰ নাম বাতৰি কাকতত ঘোষণা কৰিলে। পুৰণি মন্ত্ৰীসভাৰ কোনো কোনো সভ্যই বাতৰি কাকত পঢ়িহে এইবোৰ কথা প্ৰথমে জানিব পাৰিলে। ইয়াৰ সকলোবিলাক বৰ অস্বাভাৱিক আৰু গণতন্ত্ৰ বিৰোধী কথা, শেষলৈ হাউচ অব কমন্সে এইটো অনুমোদন কৰিছিল। কিন্তু তাৰ বাবে অৱস্থাৰ একো পৰিবৰ্ত্তন নহয় এইটো আছিল ডিক্টেটৰী শাসনৰ ৰীতি।

শ্ৰমিক মন্ত্ৰীসভা হঠাতে আঁতৰি গ'ল আৰু তাৰ ঠাইলৈ আহিল এটি জাতীয় মন্ত্ৰীসভা। ৰক্ষণশীল সভাৰ তাত প্ৰাধান্য হ'ল, আৰু জনদিয়েক উদাৰ নৈতিক আৰু শ্ৰমিক দলৰ লোক এই দলত সুমুৱাই দি ইয়াত জাতীয় ৰং চৰোৱাৰ চেষ্টা কৰা হ'ল। যদিও শ্ৰমিক দল ৰামজে মেকডোনেল্ডক দলৰ পৰা বহিষ্কাৰ কৰে আৰু নেতাৰূপে মানিবলৈ অস্বীকাৰ কৰিলে তথাপি তেৱেঁই থাকিল প্ৰধানমন্ত্ৰী। 'জাতীয় চৰকাৰ' বোলোতে কেৱল এনে এটি চৰকাৰক বুজায়, যাৰ ভিতৰত ধনী শ্ৰেণী, সম্পত্তিৰ মালিকসকল, সকলোৱেই তেওঁলোকৰ মাজৰ মতবিৰোধ পৰিত্যাগ কৰি একত্ৰিত হৈছে, সমাজতন্ত্ৰী পৰিবৰ্ত্তনক বাধা দিয়াৰ কাৰণে। ই সমাজতন্ত্ৰী পৰিবৰ্ত্তন অতি বেছি ব্যাপক হৈ পৰিব, মালিক শ্ৰেণীৰ প্ৰতিষ্ঠাক বিপন্ন কৰি তুলিব বা তেওঁলোকৰ ওপৰত অতি গধুৰ এটা বোজা তুলি দিব, এই আশা যেতিয়া বৰ বেচি হৈ উঠে তেতিয়াই হয় এনে ধৰণৰ 'জাতীয় চৰকাৰ' সৃষ্টি। ১৯৩১ চনৰ আগষ্ট মাহত ইংলেণ্ডত এই অৱস্থাই হৈছিল। এনে এটি সঙ্কটৰ সৃষ্টি তেতিয়া হৈছিল যাৰ হেঁচাত শেষলৈ পাউণ্ড সোণৰপৰা বিচ্যুত হৈ পৰিল, আৰু তাৰেই প্ৰতিক্ৰিয়া হিচাবে ধনীকতন্ত্ৰীসকলে তেওঁলোকৰ সকলোবিলাক শক্তিৰে দল বান্ধি থিয় হ'ল সমাজতন্ত্ৰৰ গতি ৰোধ কৰিবৰ কাৰণে। মধ্যবিত্ত শ্ৰেণীৰ জনসাধাৰণক এওঁলোকে ভয় দেখুৱালে, শ্ৰমিকসকলে যদি জয়লাভ কৰে, তেনেহলে তেওঁলোকৰ যি অলপ সঞ্চয় আছে সকলোবিলাক যাব। এই ভয়তে এই সকল বুৰ্জোৱা শ্ৰেণী একেবাৰে বিহ্বল হৈ গ'ল; জাতীয় চৰকাৰে বিপুল ভোট পাই নিৰ্বাচিত হৈ গ'ল। মেকডোনেল্ড আৰু তেওঁৰ দলবোৰে লোকক বুজালে এই চৰকাৰ যদি নেথাকে, তেন্তে কমিউনিষ্টসকলৰ হাতৰপৰা দেশৰ আৰু উদ্ধাৰ নাই।

এনেকৈয়ে ইংলেণ্ডৰ পুৰণি নিয়ম পদ্ধতিত ভাঙোন ধৰিছে। পাৰ্লিয়ামেণ্ট দিনে দিনে শক্তিহীন হৈ পৰিছে। ৰামজেক উত্তেজিত উন্নত কৰি কোনো কোনো

গভীৰ সংকট, যেনে ধৰ্মীয় বিৰোধ বা জাতি বা গোষ্ঠীগত বিৰোধ, (আৰ্য আৰ্যাণ. বনাম ইহুদী) সকলোতকৈ ওপৰত অৰ্থনৈতিক বিৰোধ (থকা আৰু নথকা সকলৰ ভিতৰত) যেতিয়া আহি উপস্থিত হয় তেতিয়াই গণতন্ত্ৰ ব্যৰ্থ হ'ল। আয়াৰলেণ্ডৰ কথা মনত পেলোৱা, ১৯১৪ চনত যেতিয়া আলষ্টাৰ আৰু আয়াৰলেণ্ডৰ বাকী অংশৰ মাজত ধৰ্ম আৰু জাতিগত বিৰোধ আৰম্ভ হ'ল, বৃটেইনৰ ৰক্ষণশীল দলে পাৰ্লিয়ামেণ্টৰ সিদ্ধান্তও মানি লবলৈ অস্বীকাৰ কৰিলে, আনকি গৃহযুদ্ধৰ বাবেও উদগনি দিবলৈ ধৰিলে। এয়ে হয় বাহিৰৰ দৃষ্টিত যিটো গণতন্ত্ৰী ৰীতি পদ্ধতি সেইটোৰ সহায়ত যিমান দিন মালিকসকলৰ প্ৰয়োজন সিদ্ধি কৰি লব পাৰে সিমান দিন তেওঁলোকেও নিজৰ স্বাৰ্থ ৰক্ষা কৰাৰ খাতিৰতেই ইয়াক ব্যৱহাৰ কৰে। কিন্তু সেই গণতন্ত্ৰ বিপদত পৰে, তেওঁলোকৰ বিৰোধ বিশেষ সুবিধা আৰু স্বাৰ্থ আছে তাৰ পৰিপন্থী হৈ উঠে—সেই মুহূৰ্ত্ততে তেওঁলোকে ইয়াক ত্যাগ কৰে; ডিক্টেটৰী ৰীতি-নীতি প্ৰতিষ্ঠিত কৰে। ভৱিষ্যতে কোনো দিন বৃটিছ পাৰ্লিয়ামেণ্টৰ সৰহখিনি সভ্যই ব্যাপক পৰিবৰ্ত্তন সাধনৰ সপক্ষে মত প্ৰকাশ কৰিব এনে হোৱাতো একো আচৰিত নহয়। সেইদিনা যদি এই সংখ্যাগৰিষ্ঠ দল ন্যস্ত স্বাৰ্থৰ ওপৰত আঘাত হানিবলৈ উদ্যত হয়, তেন্তে সেই স্বাৰ্থৰ মালিক-সকলে হয়তো গোটেই পাৰ্লিয়ামেণ্টকে অগ্ৰাহ্য কৰি চলিব বা ইয়াৰ সেই সিদ্ধান্তৰ বিৰুদ্ধে দেশত বিদ্ৰোহ ঘটাবলৈকো চেষ্টা কৰিব। ১৯১৪ চনত আলষ্টাৰৰ ঘটনালৈ ঠিক তাকেই তেওঁলোকে কৰিছিল।

এতেকে দেখা গৈছে, পাৰ্লিয়ামেণ্ট আৰু গণতন্ত্ৰ যিমানদিন বৰ্ত্তমান ব্যৱস্থাক ভিত্তি ৰখাত সহায়ক হব তেতিয়ালৈকেহে কেৱল মালিক শ্ৰেণীয়ে ইয়াক দৰকাৰী বুলি ভাবিব। অৱশ্যে এই গণতন্ত্ৰ আচল গণতন্ত্ৰ নহয়। ই কেৱল গণতন্ত্ৰ বিৰোধী উদ্দেশ্য সাধনৰ কাৰণে গণতন্ত্ৰী মতাদৰ্শৰ অপব্যৱহাৰ। আজিলৈকে পৃথিৱীত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠানৰ সুযোগ অহা নাই, কাৰণ পুঁজিবাদ আৰু গণ-তন্ত্ৰৰ মাজত মূলতে এটা বিৰোধ আছে। গণতন্ত্ৰৰ যদি কোনো অৰ্থ আছে তেন্তে ইয়াৰ অৰ্থ হৈছে সাম্য, কেৱল ভোট দিয়াত সমান অধিকাৰ নহয়—অৰ্থনৈতিক আৰু সামাজিক জীৱনতো সকলো মানুহৰ সমান অধিকাৰ। আৰু পুঁজিবাদ হৈছে তাৰ সম্পূৰ্ণ বিপৰীত, তাত অৰ্থনৈতিক ক্ষমতা কেইজনমান মানুহৰ হাতত কেন্দ্ৰীভূত হৈ থাকিব। সেই ক্ষমতা প্ৰয়োগ কৰি তেওঁলোকে নিজৰ স্বাৰ্থ পূৰণ কৰি লয়। তেওঁলোকে নিজে এটা বিশেষ সুবিধাৰ আসন দখল কৰি বহি আছে, সেই আসন নিৰাপদ ৰাখিবৰ কাৰণে তেওঁলোকে আইন প্ৰণয়ন কৰে। সেই আইন যি ভাঙিব তেওঁলোকক আইন শৃঙ্খলা ভঙ্গকাৰী বুলি গণ্য কৰা হ'ব; সমাজৰ ওচৰত তেওঁলোকে শাস্তি পাবলৈ বাধ্য। এই ব্যৱস্থাৰ কোনোখিনিতে সাম্যৰ স্থান নাই, মানুহক যিখিনি স্বাধীনতা ইয়াত দিয়া হয় তাৰো সীমা পুঁজি-বাদী আইনৰ দ্বাৰা নিৰ্দিষ্ট কৰি দিয়া আছে, সেই আইনৰ একমাত্ৰ উদ্দেশ্য হৈছে পুঁজিবাদক জীয়াই ৰখা।

পুঁজিবাদ আৰু গণতন্ত্ৰৰ মাজৰ বিৰোধ প্ৰকৃতিগত আৰু চিৰকলীয়া কথা। ভুল প্ৰচাৰবাণী, আৰু পাৰ্লিয়ামেণ্ট আদি গণতন্ত্ৰৰ বাহিৰা অনুষ্ঠানবোৰে ইয়াক বহু সময়ত আৱৰি ৰখা হয়। মালিক শ্ৰেণীয়ে আন আন শ্ৰেণীবোৰক কালে এটুকুৰা

আধাটুকুৰা কটি দলিয়াই দিয়ে, তাৰেই তেওঁলোকক কম বেছি পৰিমাণে সন্তুষ্ট কৰি ৰাখে। কিন্তু শেষত কেতিয়াবা এনে এটি সময় আহে, যেতিয়া তেওঁলোকৰ হাতত আৰু দলিয়াবলৈ কটি অৱশিষ্ট নাথাকে। এই দুৰ্যোগৰ ভিতৰত কেতিয়া বিৰোধ বৰ বেছি হৈ উঠে, কাৰণ এইবাৰ সংগ্ৰাম হয় আচল বস্তু লৈয়েই ৰাষ্ট্ৰৰ অৰ্থনৈতিক আধিপত্য লৈ। সেই অৱস্থা যেতিয়া হয়—তেতিয়া পুঁজিবাদৰ সমৰ্থক সকলে, যিসকলে আজি ইমান দিনে বেলেগ বেলেগ দলক লৈ খেলা কৰি আহিছে, সকলোৱে মিলি এটা দল হৈ থিয় দিয়ে,—তেওঁলোকসকলোৱে নিজা স্বাৰ্থত কি আঘাত পৰাৰ সম্ভাৱনা হৈছে তাক বাধা দিবলৈ চেষ্টা কৰে। উদাৰপন্থী দল আৰু এওঁলোকৰ দৰে সকলো দলেই লুপ্ত হৈ যায়। গণতান্ত্ৰিক, অনুষ্ঠান প্ৰতিষ্ঠানবোৰকো বাতিল কৰি দিয়া হয়। ইউৰোপ আৰু আমেৰিকাত এতিয়া এই অৱস্থা আহি উপস্থিত হৈছে, ফেচিজিম এই অৱস্থাৰ প্ৰতীক—বেছি ভাগ দেশতে সি কোনো প্ৰকাৰে প্ৰাধান্য প্ৰতিষ্ঠা কৰি ৰহিছে। শ্ৰমিক শ্ৰেণীয়ে সকলোতে এতিয়া অধিকাৰ কাৰণেই যুঁজিবলগা হৈছে। পুঁজিবাদে তাৰ সকলোখিনি শক্তি সংহত কৰি ৰাখি, থিয় হৈ আছে—ইয়াৰ সেই নতুন আৰু প্ৰবল সংহতিৰ লগত যুদ্ধ কৰিবৰ শক্তি শ্ৰমিক শ্ৰেণীৰ নাই। অথচ আচৰিত কথা সেই পুঁজিবাদ নিজেও বৰক বৰক হৈ পৰিছে; নতুন জগতৰ লগত নিজক খাপ খুৱাই লব পৰা নাই। এইটো নিশ্চিত যে এইবাৰৰ এই যুদ্ধৰ পিছৰ যদি ই তিষ্ঠি থাকে, থাকিব বহুত বেলেগ ৰূপ লৈহে।

বহুতে ভাবে, কেইজনমান বিচক্ষণ লোকৰ হাতত যদি এখোন দেশৰ শাসন কৰ্তৃত্ব এৰি দিয়া হয়—তেন্তে এই সকলো অশান্তি, বিৰোধ, আৰু দুখকষ্ট একেবাৰেই আৰু পৃথিৱীত নাথাকিব। এওঁলোকে ভাবে এই সকলোৰেই মূলত আছে কেৱল ৰাজনীতিবিদ আৰু ৰাষ্ট্ৰৰ ধুৰন্ধৰসকলৰ দুষ্টামি। এওঁলোকৰ ধাৰণা সাধু পুৰুষ-সকলে যদি কেৱল, এবাৰ আহি একত্ৰিত হয় তেন্তে নীতিপূৰ্ণ উপদেশ দি আৰু তেওঁলোকৰ ৰীতিনীতিৰ ভুল ক'ত দেখুৱাই দিয়েই-এই দুৰ্বৃত্তসকলক এওঁলোকে শুধৰাই লব পাৰিবলৈহেঁতেন। কিন্তু এইটো এটা বৰ ভুল ধাৰণা, দোষ মানুহৰ নহয়—দোষ হৈছে ব্যৱস্থাৰ, এই ব্যৱস্থাটোৰেই ভুল। সেই ব্যৱস্থা যিমানদিনলৈকে তিষ্ঠি থাকিব, সিমান দিন এই মানুহবোৰেও এতিয়া যেনেদৰে চলিছে—তেনেভাৱেই চলিবলৈ বাধ্য হ'ব। এটা জাতিৰ ওপৰত আৰু এটা বিদেশী জাতিয়ে আহি ৰাজত্ব কৰে, একে জাতিৰ ভিতৰত এটি অৰ্থনৈতিক শ্ৰেণীয়ে অন্য শ্ৰেণীবোৰৰ ওপৰত প্ৰভুত্ব কৰে। কিন্তু য'ত এটা দলে এই ধৰণে এটা প্ৰভুত্ব বা প্ৰতিষ্ঠাৰ আসন দখল কৰি লৈছে, তাতেই দেখা গৈছে, আত্মপ্ৰৱঞ্চনা, আৰু ভণ্ডামিৰ ক্ষমতা এওঁলোকৰ অসীম। যুক্তি তৰ্কেৰে এওঁলোকে নিজকে বুজাই দিয়ে, যে বিশেষ সুযোগবোৰ তেওঁলোকে ভোগ কৰিছে, সেইবোৰ তেওঁলোকৰেই বিশেষ গুণৰ বিশেষ পুৰস্কাৰ মাত্ৰ। এই কথাত যদি কোনোবাই আপত্তি কৰে তেনেহলে বুজিব লাগিব, সেইজন বৰ দুষ্টলোক, সমাজৰ বন্ধা অপ-ধৰক আদি হেনেদি তেনেদি কথা তেওঁৰ ইচ্ছা। যিসকল লোকে প্ৰভুত্ব কৰি আছে, তেওঁলোকৰ সেই সুযোগ সুবিধাবোৰ যে তেওঁলোকে অন্যায় কৰি ভোগ কৰিছে,

তাক তেওঁলোকে নিজেই এৰি দিয়া উচিত, এনেকৰা তেওঁলোকক বিশ্বাস কৰোৱাটো অসম্ভৱ। এজন বা দুজনলোকক হয়তো বা এই কথা বুজাব পৰা যায়—কিন্তু গোটেই দলকে কেতিয়াও নোৱাৰি। এতেকে যুদ্ধ হয়, সংঘাত আৰম্ভ হয়, বিপ্লৱ আহে, মানুহৰ ওপৰত দুখ আৰু দুৰ্দশাৰ ধাৰাসাৰ বৰষুণ হয়।

১৯৪
পৃথিৱীলৈ এবাৰ শেষ দৃষ্টি

৭ আগষ্ট, ১৯৩৩

কলম, কাগজ আৰু চিয়াঁহী যেতিয়ালৈকে শেষ নহয়—তেতিয়ালৈকে চিঠি লিখাৰ শেষ নাই, আৰু জগতৰ ঘটনা লৈ লেখাৰো কোনো দিনেই শেষ নহয়—কাৰণ জগতখন আমাৰ ক্ৰমানুসৰে চলিছে আৰু চলিয়েই থাকিব, পুৰুষ মহিলাই আৰু শিশুসকলেও হাঁহিছে, কান্দিছে, পৰস্পৰক ভাল পাইছে, ঘৃণা কৰিছে, পৰস্পৰৰ লগত যুদ্ধ কৰিছে, তাৰো কোনো শেষ নাই। এই কাহিনী আজিলৈকে চলি আছে, ইয়াৰ শেষ কোনো দিনে নহয়; আৰু এই যে যুগটোত আমি বাস কৰিছোঁ ইয়াৰ জীৱনধাৰাও যেন আগতকৈ ক্ৰমে আৰু বেগেৰে বাঢ় ধৰিছে,—আৰু পৰিবৰ্তনো ইটোৰ পিছত সিটো ঘটিব ধৰিছে। ইয়াৰ কথা লেখি থাকোঁতেই ইয়াৰ অৱস্থা আকৌ সলনি হৈ গৈছে। আজি যিটো লেখিছোঁ কাইলৈ হয়তো সেইটো পুৰণি কাহিনী হৈ যাব, বহুত পুৰণি বাতৰি, হয়তো বা একেবাৰে অপ্ৰাসংগিক কথা। জীৱনৰ পুঁথি কেতিয়াও বন্ধ নহয়,—ক্ৰমে যি গৈছে, একো একো সময়ত ই হঠাৎ কৈ বেগেৰে বঢ় ধৰে—এতিয়া ফিৰৰে গৈছে, তেতিয়া আৰু দয়া নাই, মায়া নাই, তাৰ ভিতৰত আছে দৈত্যৰ দৰে শক্তি, তাৰ সেই গৌৰৱ বুকুত আমাৰ সৰু সৰু ইচ্ছা আৰু কোনবোৰ কেনি ক'ত উটি যায়, আমাৰ এই ক্ষুদ্ৰ অস্তিত্বৰো ইয়াৰ ওচৰত এক নিষ্ঠুৰ কৌতুকৰ সামগ্ৰী হৈ পৰে, তাৰ সেই উন্মত্ত তৰংগমালাই যেন কুটাৰ দৰে লৈ নাচবাগ কৰে।

বিবিধ কথা তোমালৈ লেখাৰ ইচ্ছা আছিল, যি বিবিধ লেখা উচিত আছিল, তাতকৈ বহুত বেছি কথা মই ইতিমধ্যে তোমালৈ লেখিছোঁ। কি কৰিম—কলম বেগেৰে চলিছে য'ৰ লোভোৰে। যুগজীৱৰ অন্ত প্ৰান্তত আমাৰ দীঘলীয়া ভ্ৰমণ শেষ হ'ল। আজিৰ দিনলৈ আহিলোঁ আমি। আহি থিয় দিছোঁ কাইলৈৰ দুৱাৰ ডলিত। আচৰিত আৰু অবাক হৈ ভাবিছোঁ সেই দিন আকৌ যেতিয়া আজি হৈ যাব, তেতিয়া তাক লেখিবলৈ কোনে মন কোনে জানে? এইবাৰ অলপ জিৰণি লোৱা যাওক, পৃথিৱীৰ চাৰিওফালে এবাৰ চকু ফুৰাই চাওঁ। কি বাতৰি আছে এই আজিৰ দিনত এই উদ্দেশ্য তেজিছ চলৰ ৭ আগষ্ট জানিবলৈ।

ভাৰতবৰ্ষত লেখিছোঁ গান্ধীজী আকৌ গ্ৰেপ্তাৰ হৈছে, দণ্ডিত হৈছে, যাৰবেদা জেলত উপবাস আৰম্ভিছে। আইন-অমান্য আন্দোলন আকৌ আৰম্ভ হৈছে, অৱশ্যে

অলপ সংযত ৰূপেৰে। মোৰ সহকৰ্মীসকল আকৌ জেললৈ গৈছে। আমাৰ এজন বীৰ আৰু প্ৰিয় সহকৰ্মী যতীন্দ্ৰমোহন সেনগুপ্ত এইমাত্ৰ আমাক এৰি গুচি গ'ল; বৃটিছ চৰকাৰৰ বন্দী স্বৰূপেই তেওঁৰ মৃত্যু হৈছে। মোৰো বন্ধু আছিল তেওঁ, পঁচিশ বছৰ আগতে তেওঁৰ লগত মোৰ প্ৰথম পৰিচয় হয়। তেতিয়া মই কেম্ব্ৰিজলৈ প্ৰথম গৈছো। জীৱনৰ প্ৰবাহ মিলি গৈছে মৃত্যুৰ মাজত কিন্তু ভাৰতৰ জনতাৰ জীৱনক প্ৰকৃত জীৱন কৰি গঢ়ি তোলাৰ সাধনা আজিও আগুৱাই গৈ আছে। ভাৰত মাতৃৰ হাজাৰ হাজাৰ পুত্ৰ আৰু কন্যা, তেওঁৰ সকলো সন্তানৰ ভিতৰত যাৰ প্ৰাণ শক্তি, আৰু বহুক্ষেত্ৰত গুণতো সৰ্বোত্তম তেওঁলোক পচি মৰিছে জেলখানাত—বন্দীশালত। যি বৰ্তমান ব্যৱস্থাই ভাৰতবৰ্ষক দাসত্বৰ শৃঙ্খলেৰে বান্ধি ৰাখিছে তাৰ সংগ্ৰাম কৰোঁতেই তেওঁলোকৰ যৌৱন, তেওঁলোকৰ কৰ্মশক্তি সকলো এওঁলোকে শেষ কৰি ঢালি দিছে। এওঁলোকৰ এই জীৱন, এওঁলোকৰ এই কৰ্মশক্তি, এইবোৰ হয়তো গঢ়ি তোলাৰ কামত লাগিব পাৰিলেহেঁতেন, কিন্তু নতুন জগতক গঠন কৰা কামত—কামৰতো শেষ নাই এই পৃথিৱীত, কিন্তু সেই গঠনৰ আগতে আনিব লাগিব ধ্বংসক। যেন মাটি পৰিষ্কাৰ হৈ যায়। ভঙা মৰৰ মাটিৰ দেৱালৰ গাঠনিত মনোৰম অট্টালিকা বন্ধা নাযায়। ভাৰতবৰ্ষৰ আজি অৱস্থা এটা কথাৰপৰাই ভালকৈ বুজিব পাৰিবা। বঙ্গদেশৰ কোনো কোনো ঠাইত মানুহে কি সাজ পিন্ধিব তাকো নিৰ্দিষ্ট কৰি দিছে চৰকাৰী হুকুমৰ অধিনতে, আন সাজ পিন্ধিলে তেওঁলোকৰ শাস্তি কাৰাদণ্ড। চট্টগ্ৰামত বাৰ বছৰ বা তাতকৈ বয়স যাৰ বেছি সেই সৰু সৰু ল'ৰাবোৰবো(হয়তো বা ছোৱালীবোৰেও) যলৈকে যায় সকলোতে এখন পৰিচয় পত্ৰ লগত লৈ যাবলগীয়া হৈছে। পৃথিৱীৰ আৰু কতো আনকি নাজী শাসিত জাৰ্মাণীতো বা শত্ৰু সৈন্যৰ দ্বাৰা অধিকৃত যুদ্ধৰত দেশেও কোনোদিন এনে অদ্ভূত আদেশ জাৰি কৰা বুজি মই নাজানো। বৃটিছ শাসনত আমি পৰিণত হৈছো এটা কয়দী জাতিত। ছুটীৰ অনুমতি পত্ৰ লৈ যেন আমি চলাফুৰা কৰিছো। যেতিয়াই মন যায় সেই অনুমতি পত্ৰ বাতিল হৈ যাব পাৰে। আৰু আমাৰ উত্তৰ পশ্চিম সীমান্তৰ ঠিক সিপাৰেই আমাৰ প্ৰতিবেশীসকলক বৃটিছ বিমান বাহিনীয়ে বোমা পেলাই বধ কৰিছে।

আমাৰ দেশবাসী যিসকল আন দেশত আছে, তেওঁলোকৰ প্ৰতি তাত কোনেও সন্ত্ৰম নেদেখুৱায়। ভদ্ৰোচিত অভ্যৰ্থনাও তেওঁলোকে ক'তো নাপায়। আচৰিত হ'বৰ ইয়াত একো নাই। নিজৰ ঘৰত যাৰ সন্ত্ৰম নাই, আনৰ ঘৰত সন্ত্ৰম পাব ক'ৰপৰা? দক্ষিণ আফ্ৰিকাৰপৰা বাহিৰ কৰি দিয়া হৈছে তেওঁলোকক, সেই দেশতে তেওঁলোক জন্মিছে, লালিত পালিত হৈছে, সেই দেশৰ বহু ঠাই অন্ততঃ নাটালৰ বহু অঞ্চল তেওঁলোকেই নিজৰ শ্ৰম দি গঢ়ি তুলিছে। বৰ্ণ বৈষম্য, জাতি বিদ্বেষ, অৰ্থনৈতিক স্বাৰ্থ সংঘাত, সকলো আহি একত্ৰিত হৈছে দক্ষিণ আফ্ৰিকাৰ এই ভাৰতীয় সকলৰ বিৰুদ্ধে। এওঁলোক এতিয়া জাত সমাজচ্যুত, এওঁলোকৰ ঘৰ নাই, আশ্ৰয় নাই। দক্ষিণ আফ্ৰিকা ইউনিয়ন চৰকাৰে কৈছে, এওঁলোকক এতিয়া জাহাজত ভৰাই স্বদেশৰপৰাই আন কোনো ঠাইলৈ পঠিয়াই দিয়া হ'ব— বৃটিছ গীয়েনা বা ভাৰতলৈ আকৌ এওঁলোক উভতি যাব পাৰে, বা অন্য যি

শেষেলৈ মাৰিলে যাব পাৰে। ভাবে যে এওঁলোক অনাহাৰে মৃত্যুৰ মুখত পৰাৰ বাহিৰে অন্য উপায় নাই।—সেইটো হওক। দক্ষিণ আফ্ৰিকাই সেই কথা যে কোনো যুদ্ধ কৰাৰ নাজানে। কেৱল দক্ষিণ আফ্ৰিকাৰপৰা এওঁলোক উচ্ছেদৰ কাৰণে ভূমি পৰেই হ'ল।

পূব আফ্ৰিকাত, কেনিয়া আৰু তাৰ চাৰিওকাষৰ অঞ্চলবোৰ পাহাৰ তোলাৰ ভিতৰত ভাৰতীয় সকলৰ বহুখিনি ভূমি আছিল। এতিয়া আৰু তাত তেওঁ-লোকৰ ঠাই নাই। আফ্ৰিকাবাসীসকল তেওঁলোকৰ ওপৰত বিৰূপ খুব নহয়—তাৰ যুদ্ধৰ ইউৰোপীয় বাগিচাৰ মালিকসকলে তেওঁলোকক থাকিবলৈ দিয়াত আপত্তি কৰিছে বুলিহে। তাৰ সকলোতকৈ ভাল ভাল ঠাইবোৰ, যি ঠাইবোৰ সেনেগ কৰি ৰখা হৈছে, এই বাগিচাৰ মালিকসকলৰ কাৰণে। আফ্ৰিকা বা ভাৰতীয়বাসীসকলে অল্প মাটিহে পোৱাহে। আফ্ৰিকাবাসীসকলৰ কথা আৰু বেয়া। প্ৰথমতে সকলো মাটিয়েই আছিল তেওঁলোকৰ, মাটিয়েই আছিল তেওঁলোকৰ একমাত্ৰ খাবৰ উপায়। তাৰ পিছত তেওঁলোকৰ বিপুল পৰিমাণৰ মাটি চৰকাৰে বাজেয়াপ্ত কৰিলে। ইউৰোপীয় আগন্তুক সকলক বিনামূল্যে মাটি দি বহুৱাই দিলে। এইদৰে এই আগন্তুকসকলৰ আৰু বাগিচাৰ মালিকসকলেই সেই দেশৰ ডাঙৰ ডাঙৰ মাটিৰ মালিক হৈ পৰিল। আমৰৰ এওঁলোকে নিদিলে, আন কোনো কথো 'এওঁ নিদিলেই। বাৰকাৰ প্ৰায় গোটেই বোজাটোৱেই পৰে যে এই দুৰ্নীতি পৰানত আফ্ৰিকাবাসীসকলৰ মূলত। কিন্তু আফ্ৰিকাবাসীসকলৰপৰা কৰ আদায় কৰা কঠিন, কাৰণ তেওঁলোকৰ সম্পত্তি বুলিবলৈ একো নাই। কৰ বহুৱা হৈছিল তেওঁলোকৰ জীৱন যাত্ৰাৰ কাৰণে একান্ত দৰকাৰী কিছুমান বস্তুৰ ওপৰত, যেনে আটা, মলা, আৰু কাপোৰৰ ওপৰত। এইবোৰ কিনিবলৈ গলেই পৰোক্ষভাৱে এওঁলোকে কৰ দিবলগীয়া হৈছিল। কিন্তু সকলোতকৈ অদ্ভুত কৰ যিটো বহুৱা হ'ল, সি হৈছে ঘৰুৱা আৰু জনমূৰি প্ৰত্যক্ষ কৰ। ষোল বছৰৰ বেছি যাৰ বয়স এনে প্ৰত্যেক পুৰুষ আৰু অনুবৰ্তী পৰিয়ালবৰ্গৰ ভিতৰতম এই কৰ ধাৰ্য কৰা হ'ল, মহিলা সকলেও সেয়াই দিয়া আছিল। কৰ নিৰ্ধাৰণৰ নীতি হৈছে, মানুহৰ যি সম্পত্তি বা আয় আছে, কৰ ধৰা হ'ব তাৰ ওপৰত। আফ্ৰিকাবাসীসকলৰতো সম্পত্তি বুলিবলৈ একো নাই,—এতেকে তেওঁলোকৰ দেহৰ ওপৰতেই কৰ লগোৱা হ'ল। কিন্তু পইচা যদি নাথাকে তেন্তে বছৰি জনমূৰি যাৰ চিলিংকৈ এই কৰ তেওঁলোকে আদায় দিব কেনেকৈ? এইখিনিতেই আছিল এই কৰ লগোৱাৰ কৌশল। কৰৰ যোগাৰ কৰা যে তেওঁলোকে আৰু কৰিবলগীয়া হৈছিল, টকাৰ কাৰণে ইউৰোপীয় বাগিচা-সকলৰ বাগিচাত কাম কৰিবলগীয়া হৈছিল। সহজে কৰ দিয়া নহয়। এইটো অকল টকা পোৱা বুদ্ধি নহয়—বাগিচাৰ কাৰণে সস্তাত বনুৱা পোৱাৰো বুদ্ধি। এই হতভাগীয়া আফ্ৰিকাবাসী সকলৰ বহুত সময়ত বহু দূৰলৈ আহিবলগীয়া হৈছিল—আঠ আঠশ মাইল দূৰৰ গাওঁ অঞ্চলৰপৰা খোজ কাঢ়ি সমুদ্ৰৰ পাৰত থকা বাগিচাসমূহত কাম কৰিবলৈ আহিবলগীয়া হৈছিল (সেই দেশৰ গাওঁ অঞ্চলত কোনো যোগাযোগ নাই—সমুদ্ৰ পাৰৰ অঞ্চলত মাথোন আছে), কৰ দিয়াৰ কাৰণে ধন আৰ্জিবলৈ।

এই হতভগীয়া শোষিত আফ্ৰিকাবাসীসকলৰ সম্বন্ধে আৰু বহুত কথাই তোমাক ক'ব পাৰো। বাহিৰৰ জগতক তেওঁলোকৰ আৰ্তনাদ কি দৰে শুনাব পাৰি তাকো তেওঁলোকে ভালদৰে নাজানে। এওঁলোকৰ দুখৰ কাহিনী বৰ দীঘলীয়া, সম্পূৰ্ণ নিশব্দে সেই দুখ এওঁলোকে বহন কৰি ফুৰিছে। নিজৰ ভাল ভাল মাটিবোৰৰ পৰা বিতাড়িত হৈ সেই মাটিলৈকে আকৌ তেওঁলোক উলটি আহিবলগীয়া হ'ল—য়ুৰোপীয় লোকসকলৰ বায়ত স্বৰূপে। এই আফ্ৰিকাবাসীসকলৰ মাটি কাঢ়ি নি তেওঁলোকক বিনামূলীয়া কৈ বিতৰণ কৰা হৈছিল। মালিক স্বৰূপে এই য়ুৰোপীয় জমিদাৰসকল আধা সামন্তবাদী। এওঁলোকৰ মনঃপুত নোহোৱা সকলো কাৰ্য-কলাপকেই এওঁলোকে বন্ধ কৰি পেলাইছে। আফ্ৰিকাবাসীসকলৰ কোনো-ৰকম সংঘ বা সমিতি গঢ়াৰ অধিকাৰ নাই। আনকি শাসন সংস্কাৰ লৈ আলোচনা কৰাৰ কাৰণেও নাই; কাৰণ কোনো ৰকমৰ চান্দা তোলাই তেওঁলোকৰ পক্ষে নিষিদ্ধ। নৃত্যকো বে-আইনী ঘোষণা কৰা হৈছে, এই সম্পৰ্কে এখন অধ্যাদেশ জাৰি কৰা হৈছে, কাৰণ আফ্ৰিকাবাসীসকলে বহু সময়ত তেওঁলোকৰ গানত আৰু নাচত য়ুৰোপীয়সকলৰ নাচ-বাগৰ ব্যঙ্গ অনুকৰণ কৰিছিল, তাকে লৈ ৰহস্য কৰিছিল। কৃষকসকল অতি দুখীয়া চাহ বা কফিৰ খেতি কৰিব তেওঁলোকে নোৱাৰে, কাৰণ তাকে কৰিলে য়ুৰোপীয় বাগিচাৰ মালিকসকলৰ লগত প্ৰতিদ্বন্দ্বিতা কৰা হ'ব।

তিনিবছৰ আগতে বৃটিছ চৰকাৰে গুৰুগম্ভীৰভাৱে ঘোষণা কৰিছিল, আফ্ৰিকাবাসীসকলৰ তেওঁলোকেই অভিভাৱক হ'ল; ভৱিষ্যতলৈ আৰু তেওঁলোকৰ মাটি কাঢ়ি লোৱা নহ'ব। কিন্তু আফ্ৰিকাবাসীসকলৰ দুৰ্কপাল—যোৱাবছৰ কেনিয়াত সোণৰ খনি আৱিষ্কাৰ হৈছে। এতেকে চৰকাৰৰ সেই মহান প্ৰতিশ্ৰুতিৰ কথা কোনেও মনত নাৰাখিলে, য়ুৰোপীয় বাগিচাৰ মালিকসকলে লৰালৰিকৈ কঢ়া-আজোৰা লগাই সেই মাটি দখল কৰি ললে। আফ্ৰিকাবাসী কৃষকসকলক পুনৰবাই সোণৰ সন্ধানত মাটি খান্দিবলৈ লাগি গ'ল। বৃটিছ প্ৰতিশ্ৰুতিৰ মূল্য ইমানেই। এতিয়া কোৱা হৈছে যে ইয়াৰ ফলত শেষলৈ হেনো আফ্ৰিকাবাসীসকলৰেই লাভ হ'ব—মাটি যোৱাৰ ফলত তেওঁলোকৰ অন্তৰৰ সুখ, মনৰ শান্তি দুয়োটাই বহুত বাঢ়ি গৈছে।

সোণৰ খনিত কাম চলোৱাৰ এই পুঁজিবাদী পদ্ধতি একেবাৰে আচৰিত। এটা নিৰ্দিষ্ট ঠাইৰ পৰা কিছুমান মানুহ সঁচাকৈয়ে লৰি গৈ তাত উপস্থিত হ'ব লাগে; প্ৰত্যেকে এই অঞ্চলটোৰ এটা অংশ দখল কৰি লয়—তাত সোণ বিচাৰিবলৈ ধৰে। সেই মাটি টুকুৰাত বহুত সোণ পাব নে একেবাৰে নাপাব সেইটো তেওঁলোকৰ নিজৰ ভাগ্য। এই পদ্ধতিটো পুঁজিবাদৰ দৰেই। সোণৰ খনিৰ অঞ্চলত কাম চলোৱাৰ একমাত্ৰ দুটা উপায় হৈছে দেশৰ চৰকাৰেই সেই অঞ্চলটো নিজৰ আয়ত্তলৈ অনা আৰু গোটেই ৰাষ্ট্ৰৰ হৈ সোণ খান্দি উলিওৱা। চোভিয়েট ইউনিয়নৰ মাজত তাজিকিস্তানত আৰু আন ঠাইত যিবোৰ সোণৰ খনি আছে, চোভিয়েট চৰকাৰে ঠিক এনেদৰেই কাম চলাইছে। মোৰ এই শেষ কাহিনীত তোমাক কেনিয়াৰ সম্বন্ধে কিছু কথা শুনালোঁ। ইয়াৰ কাৰণ হ'ল এই চিঠিবোৰত মই আফ্ৰিকাৰ কথা একোকে কোৱা নাই। আফ্ৰিকা বিশাল মহাদেশ। বহুতো আফ্ৰিকাবাসী

জাতিৰে ভৰা। শ শ বছৰ ধৰি বিদেশীসকলে এওঁলোকক নিষ্ঠুৰভাৱে শোষণ কৰি আহিছে। এতিয়াও কৰিছে। সভ্যতাৰ ফালৰ পৰা আফ্ৰিকাবাসীসকল পিছু পৰি আছে। কিন্তু জোৰ কৰিয়েই এওঁলোকক দমাই ৰখা হৈছে। এওঁলোকক আগুৱাই যোৱাৰ কাৰণে কোনো সুযোগ সুবিধাকে কেতিয়াও দিয়া হোৱা নাই। এই সুযোগ য'ত পাইছে, তাত আচৰিত উন্নতিও এওঁলোকে দেখুৱাইছে। পশ্চিম উপকূল অঞ্চলত সম্প্ৰতি এখন বিশ্ববিদ্যালয় স্থাপিত হৈছে—তাতেই ইয়াৰ উদাহৰণ পোৱা যায়।

পশ্চিম এচিয়াৰ দেশবোৰৰ বিষয়ে তোমাক বহু কথা কৈছোঁ। তাত আৰু মিচৰত স্বাধীনতাৰ সংগ্ৰাম এতিয়াও চলি আছে। দক্ষিণ-পূব এচিয়াত বৃহত্তৰ ভাৰত আৰু ইন্দোনেচীয়াৰ কথাও লেখে—ইয়াৰ ভিতৰত আছে শ্যাম স্বাধীন দেশ, একমাত্ৰ ইয়াক বাদ দিলে, এইবোৰৰ সকলোতে এই সংগ্ৰামৰ ঢৌ দিশ চকুত পৰিব। একালে বিদেশী শাসনৰ পৰা অব্যাহতি পাবৰ কাৰণে জাতীয়তাবাদীসকলৰ চেষ্টা আৰু একালে সমাজত সমান অধিকাৰ বা অন্ততঃ অৰ্থনৈতিক অৱস্থাৰ উন্নতি কামনা কৰি, পদানত শ্ৰেণীৰ সংগ্ৰাম।

এচিয়াৰ দূৰপ্ৰাচ্য অঞ্চলত দেখিছোঁ। বিৰাট দেশ চীনে, অসহায় ৰূপে আক্ৰমণকাৰীসকলৰ অত্যাচাৰ সহিছে, ভিতৰুৱা বিৰোধৰ কাৰণে বহু খণ্ডত বিভক্ত হৈ পৰিছে। ইয়াৰ এটি অংশ কমিউনিজিমৰ সমৰ্থক, আন এটি অংশ তাৰ ঘোৰ বিৰোধী। এই আত্মকলহৰ সুযোগ লৈ জাপানে বাধা নোপোৱাকৈ ইয়াৰ বুকু ফালি আগুৱাই গৈছে। চীনৰ বৰ বৰ একোটা অঞ্চল নিজৰ আয়ত্ত কৰি লৈছে। কিন্তু চীনৰ জীৱনীয়া ইতিহাসত বহুবাৰ সেই ধৰণৰ বহুতো ডাঙৰ অভিযোগ আৰু বিপদ পাৰ হৈছে। এইবাৰো জাপানৰ এই আক্ৰমণ ওফৰাই ই আকৌ থিয় উঠিব তাত অকণো সন্দেহ নাই।

সাম্ৰাজ্যবাদী জাপানঃ অৰ্দ্ধ সামন্তবাদী, সামৰিক শ্ৰেণীৰ প্ৰভাৱ পৰা অথচ শিল্প প্ৰগতিৰ ফালৰ পৰা ই অতি উন্নত। অতীত আৰু বৰ্ত্তমানৰ অদ্ভুতপূৰ্ব সংমিশ্ৰণ ঘটিছে তাত। চকুত ইয়াৰ বিশ্বজোৰা সাম্ৰাজ্য স্থাপনৰ মোহৰ সপোন। কিন্তু সেই সপোনৰ পিছত জাগি আছে বাস্তৱ সত্তা। দেশত জনসংখ্যা বেছি, তেওঁলোকৰ আৰ্থিক মহাসংকট আৰু চৰম দুৰ্দশা আসন্ন হৈ উঠিছে। আমেৰিকাৰ আৰু অষ্ট্ৰেলিয়াৰ বিশাল জনহীন অঞ্চলত তেওঁলোকৰ প্ৰৱেশ কৰাৰ অধিকাৰ নাই। জাপানৰ সেই সপোনৰ আৰু এটা প্ৰধান বাধা হৈছে যুক্তৰাষ্ট্ৰৰ বিৰোধিতা। আধুনিক যুগত সকলো দেশতকৈ ইয়াৰেই শক্তি বেছি। এচিয়াত জাপানৰ ৰাজ্য বিস্তাৰৰ বাটত আৰু এটা ডাঙৰ বাধা হ'ল চোভিয়েট ৰুচিয়া। মাঞ্চুৰিয়াত আৰু প্ৰশান্ত মহাসাগৰৰ বুকুত বিৰাট এখন মহাযুদ্ধৰ আগতৰ আভাস ইতিমধ্যে বহু তীক্ষ্ণ দৃষ্টিৰে পৰ্যবেক্ষকৰ চকুত পৰিছে।

উত্তৰ এচিয়াৰ গোটেই অঞ্চলটোৱেই চোভিয়েট ইউনিয়নৰ অন্তৰ্গত। সেই দেশ এতিয়া নতুন এখন পৃথিৱী, নতুন এটি সমাজ ব্যৱস্থাৰ পৰিকল্পনা ৰচনা কৰিবলৈ আৰু তাক গঢ়ি তুলিবলৈ যাব। বৰ্ত্তমান সভ্যতাই তাৰ অগ্ৰগতিৰ পথত এই অনুন্নত দেশবোৰক পিছ পেলাই আগুৱাই গৈছিল, অলপ দিন আগলৈকেও

আত একপ্ৰকাৰ সামন্তবাদ প্ৰতিষ্ঠিত আছিল। অথচ এই দেশবোৰেই একে জাপে সভ্যতাৰ এনে এটা স্তৰত উপনীত হ'লগৈ যে পাশ্চাত্য জগতৰ সেই আগবঢ়া দেশবোৰো ইয়াৰ বহুত পিছত পৰি থাকিল, ই বৰ আচৰিত ঘটনা। পাশ্চাত্য জগতৰ পুঁজিবাদৰ ভেটি এতিয়া থৰক বৰক, য়ুৰোপ আৰু এচিয়া জুৰি থকা এই চোভিয়েট ইউনিয়ন থিয় হৈ আছে সকলো সময়তে তাৰ বিভীষিকা ৰূপে। বাণিজ্য মন্দা, অৰ্থ সঙ্কট, নিবনুৱা সমস্যা আৰু বাৰে বাৰে বিপদৰ আঘাতত পুঁজিবাদ পক্ষাঘাতত পঙ্গু হৈ পৰিছে। পুৰণি ব্যৱস্থা উশাহ নিশাহ লব নোৱাৰি মৰি গৈছে। আৰু তাৰেই ওচৰতে থিয় হৈ আছে চোভিয়েট ইউনিয়ন, আশা, উৎসাহ আৰু কৰ্মশক্তিৰে ভৰপূৰ ই কেৱল গঢ়িয়েই গৈছে, গঢ়ি তুলিছে সমাজবাদী ব্যৱস্থাক। চোভিয়েটৰ এই যৌৱন আৰু প্ৰাণশক্তিৰ প্ৰাচুৰ্য্য, অসাধ্য কাৰ্যত তাৰ সফলতা দেখি পৃথিৱীৰ সকলো চিন্তাশীল লোক মুগ্ধ হৈ পৰিছে, ইয়াৰ ফালেই আকৰ্ষিত হৈছে।

আৰু এখন ডাঙৰ দেশ আমেৰিকাৰ যুক্তৰাষ্ট্ৰ, পুঁজিবাদৰ ব্যৰ্থতাৰ ই অপূৰ্ব নিদৰ্শন। সংকট, বিপত্তি, শ্ৰমিক ধৰ্মঘট অভূতপূৰ্ব নিবনুৱা সমস্যা, এই সকলোৰে মাজত বহি ই বীৰৰ দৰে যুঁজ চলাইছে; আকৌ সকলো চম্ভালি লবলৈ, পুঁজিবাদী ব্যৱস্থাক জীয়াই ৰাখিবলৈ। ইয়াৰ এই বিৰাট পৰীক্ষাৰ ফল কি হ'ব আমি আজিও নাজানো। কিন্তু ফল তাৰ যিয়েই নহওক, যিবোৰ সুবিধা আমেৰিকাৰ নিজৰ সেইবোৰ তেওঁলোকৰ হাতৰপৰা কোনেও কাঢ়ি লব নোৱাৰে। ই বিশেষ দেশ; মানুহৰ যি প্ৰয়োজনীয় সেই সকলোকে ইয়াত অজস্ৰ পৰিমাণে পোৱা যায়। ইয়াৰ শিল্প কৌশলৰ প্ৰাধান্য আছে, এই বিষয়ত কোনো দেশেই ইয়াৰ সমকক্ষ নহয়। ভৱিষ্যতৰ পৃথিৱীৰ জীৱনযাত্ৰাত যুক্তৰাষ্ট্ৰ আৰু চোভিয়েট ইউনিয়নে বৰ ডাঙৰ এটি অংশ গ্ৰহণ কৰিব—ইয়াত সন্দেহ নাই।

আৰু দক্ষিণ আমেৰিকাৰ ডাঙৰ মহাদেশখন? তাত আছে বহুতো লেটিন জাতি, উত্তৰ অঞ্চলৰ জাতিবোৰৰ লগত তেওঁলোকৰ অকণো মিল নাই। উত্তৰ আমেৰিকাৰ দৰে এইবোৰ নহয়। ইয়াত জাতি বৈষম্য নাই। বহু জাতি ইয়াত আহি, একলগে মিলিজুলি এক হৈ গৈছে—ইয়াত আছে দক্ষিণ ইউৰোপৰ মানুহ স্পেনিচ, পৰ্তুগীজ, ইটালীয় আৰু নিগ্ৰো। আছে তথাকথিত ৰেড ইণ্ডিয়ান। আমেৰিকাৰ দুখন মহাদেশৰ এওঁলোকেই আদিম অধিবাসী। কানাডা আৰু যুক্তৰাষ্ট্ৰত এই ৰেড ইণ্ডিয়ানবোৰ মৰি প্ৰায় শেষ হৈ গৈছে। কিন্তু ইয়াত এই দক্ষিণ মহাদেশত এওঁলোকৰ সংখ্যা বহুত, বিশেষকৈ ভেনিজুৱেলাত। এওঁলোক প্ৰায় সকলোৱেই কাম কৰে, ডাঙৰ ডাঙৰ চহৰবোৰৰপৰা বহুত দূৰত। তুমি হয়তো শুনি আচৰিত হবা যে এই দক্ষিণ আমেৰিকাৰ কিছুমান চহৰ যেনে বুৱেনাচ এয়াৰচ আৰু ৰিওডিজেনেৰিয়ে, কেৱল যে বৰ ডাঙৰ চহৰ সেইটো নহয়—দেখিবলৈও বৰ ধুনীয়া—বৰ সুন্দৰ সুন্দৰ বহল আলিবাট আছে ইয়াত। বুৱেনাচ এয়াৰচ হৈছে আৰ্জেণ্টিনাৰ ৰাজধানী। ইয়াৰ লোকসংখ্যা পঁচিশ লাখ; আৰু ৰিও-ডিজেনেৰিয় ব্ৰাজিলৰ ৰাজধানী। ইয়াৰ লোকসংখ্যা, প্ৰায় কুৰি লাখ।

বহু জাতি ইয়াত একত্ৰিত হৈ গৈছে, কিন্তু শাসকশ্ৰেণী হৈছে কণা অভিজাত সম্প্ৰদায়ৰ মানুহ। সৈন্যবাহিনী আৰু পুলিচ বাহিনী যি দলৰ বা উপদলৰ অধীনত দেশৰ শাসন কৰ্তৃত্বও সাধাৰণতে তেওঁলোকৰ হাতত্তেই থাকে তাৰ ফলত সঘনে বিদ্ৰোহ হোৱাৰ কথা মই তোমাক কৈছিলোঁ। দক্ষিণ আমেৰিকাৰ প্ৰত্যেক দেশতে প্ৰচুৰ পৰিমাণে খনিজ সম্পদ আছে, এতেকে ধন আৰু সমৃদ্ধিৰ সম্ভাৱনাও এই দেশবোৰৰ বেছি। কিন্তু বৰ্তমান প্ৰায় এই সকলোবোৰেই ধাৰত পোত খাই আছে। চাৰিবছৰ আগতে যুক্তৰাষ্ট্ৰই এওঁলোকক টকা ধাৰে দিয়া বন্ধ কৰিছিল, লগে লগে এওঁলোক সকলোৱেই বৰ বিপদত পৰিল। দেশৰ সকলোতে বিপ্লৱ হবলৈ ধৰিলে, এওঁলোকৰ ভিতৰত প্ৰধান তিনিখন দেশ হ'ল আৰ্জেণ্টিনা, ব্ৰাজিল আৰু চিলি। সংক্ষেপতে এওঁলোকক এ, বি, চি, বুলি উল্লেখ কৰা হয়। টকাৰ নাটনিৰ কাৰণে এই তিনিখন দেশ বিপ্লৱত ভাগি ছিগি গ'ল।

১৯৩২ চনৰ শেষৰ ফালিৰপৰা এতিয়ালৈকে দক্ষিণ আমেৰিকাৰ ভিতৰত দুখন সৰু সৰু যুদ্ধ হৈ গৈছে। অৱশ্যে মাঞ্চুৰিয়াত জাপানৰ যুদ্ধৰ দৰে এওঁলোকবো এই যুদ্ধক চৰকাৰীভাৱে যুদ্ধ বুলি স্বীকাৰ কৰা হোৱা নাই। লীগ অৱ নেচনচৰ চনদ, কেলগ শান্তি চুক্তি, আৰু অনুৰূপ চুক্তিবোৰ হোৱাৰ পিছৰপৰাই যুদ্ধ আৰু পৃথিৱীত হোৱা নাই। এখন দেশে যেতিয়া আৰু এখন দেশক আক্ৰমণ কৰিছে, তাৰ জনসাধাৰণক বধ কৰিছে, তাক কোৱা হৈছে 'সংঘৰ্ষ', চুক্তিবোৰত 'সংঘৰ্ষ' নিষেধ কৰা হোৱা নাই, এতেকে সকলোৱেই আনন্দিত। মাঞ্চুৰিয়াৰ যুদ্ধখনৰ গোটেই পৃথিৱীৰ কাৰণেই গুৰুত্বপূৰ্ণ আছিল। কিন্তু এইবোৰ দেখিয়েই বুজা যায় লীগ অৱ নেচনচৰপৰা আৰম্ভ কৰি অসংখ্য চুক্তি আৰু মীমাংসা পত্ৰ আদি পৃথিৱীত শান্তি স্থাপনৰ বিষয়ে আয়োজন অনুষ্ঠান সৈ ইমান হৈ চৈ উঠিছে সেইবোৰ আচলতে কিমান শক্তিহীন আৰু অৰ্থহীন। লীগৰ এজন সভ্যই আন এজনক আক্ৰমণ কৰে, লীগ নিৰুপায় হৈ বহি থাকে, আৰু সেই কাজিয়া ভাঙি দিবৰ কাৰণে অতি ক্ষীণ স্বৰে দুই এটা উপদেশ দিয়ে, সেই কথাত কিন্তু কোনেও কাণসাৰ নকৰে।

দক্ষিণ আমেৰিকাত ঘটা এই যুদ্ধ বা সংঘাতবোৰৰ ভিতৰত এখন হৈছে বলিভিয়া, আৰু পাৰাগুৱেৰ মাজত, এটা হাবিময়া অঞ্চলৰ কাৰণে। এই অঞ্চলটোৰ নাম হৈছে চাকো। এজন ৰসজ্ঞ কথাচী লেখকে কৈছে 'চাকো হাবিময়াটৈ বলিভিয়া আৰু পাৰাগুৱাৰ মাজত যুঁজলগা দেখি ভাবিছো যেন দুজন উন্মাদৰীয়া লোকে এখন কণীৰ কাৰণে যুঁজ কৰিছে।' যুঁজ এওঁলোকে কৰিছে ঠিকেই কিন্তু এই যুঁজ কিমান অৰ্থহীন নহয়। এই বিৰাট হাবিময়াত তেলৰ খনি থকাৰ সন্ধান পোৱা গৈছে। তাৰ উপৰিও পাৰাগুৱেৰো নদী ইয়াৰ মাজেৰেই বৈ গৈছে। বলিভিয়াৰপৰা আটলাণ্টিক মহাসাগৰলৈ যোৱাৰ নিজেই হৈছে পথ। কাজিয়া মিটমাট কৰাৰ কথাত দুয়ো পক্ষই অৰাজি হৈছে; ইতিমধ্যে হাজাৰ হাজাৰ লোকক এওঁলোকে বলি দিছে।

আনখন যুদ্ধ হৈছে কলম্বিয়া আৰু পেৰুৰ মাজত। বিবাদৰ উপলক্ষে লাটিচিয়া নামৰ এখন সৰু গাওঁ। পেৰুৱে এইখন বৰ অন্যায়ভাৱে দখল কৰি লৈছে।

দ্বীপ আৰু মেচনকে ইয়াৰ কাৰণে বৰ তীব্ৰ ভাষাত পেকক তিৰস্কাৰ কৰিছিল বুলি মনত পৰে। লেটিন আমেৰিকা (মেক্সিকো তাৰ ভিতৰত পৰে) কেথলিক ধৰ্মত বিশ্বাসী। মেক্সিকোত ৰাষ্ট্ৰ আৰু কেথলিক পাদুৰীসকলৰ মাজত বহুবাৰ তীব্ৰ সংঘৰ্ষ হৈছে। স্পেইনৰ দৰে মেক্সিকোতো শিক্ষা বিষয়ত আৰু প্ৰায় আন আন সকলো বিষয়তেই ৰোমান ধৰ্ম প্ৰতিষ্ঠানৰ যি বিপুল আধিপত্য আছিল, চৰকাৰে সেইটো কমাই দিবলৈ বিচাৰিছিল।

দক্ষিণ আমেৰিকাৰ ভাষা হৈছে স্পেনিছ্। একমাত্ৰ ব্ৰাজিলৰ বাহিৰে তাত পৰ্তুগীজেই হৈছে চৰকাৰী ভাষা। এই বিৰাট অঞ্চলটো জুৰি প্ৰচলিত হোৱাৰ কাৰণে আজিকালি পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ ভাষাবোৰৰ মাজত অন্যতম হৈ পৰিছে। ই সুন্দৰ আৰু শুনি সোৱাদ লগা ভাষা—ইয়াৰ আধুনিক সাহিত্য বৰ সমৃদ্ধিশালী। আজিকালি দক্ষিণ আমেৰিকাৰ বাণিজ্যত ব্যৱহাৰ কৰা ভাষা হিচাপেও ই বহুখিনি প্ৰাধান্য পাইছে।

১৯৫

যুদ্ধৰ ছাঁ

৮ আগষ্ট, ১৯৩৩

আগৰ চিঠিখনত মই এচিয়া, আফ্ৰিকা আৰু উত্তৰ আৰু দক্ষিণ আমেৰিকা, এই কেইখন মহাদেশৰ ওপৰত লৰা-লৰিকৈ চকু ফুৰাই গৈছো। বাকী আছে ইউৰোপ, কাজিয়া আৰু হুলস্থুলীয়া দেশ ইউৰোপ। অথচ ওপৰো তাৰ বহুত আছে।

ইংলেণ্ড এদিন আছিল পৃথিৱীৰ শ্ৰেষ্ঠ শক্তি, ইয়াৰ সেই পুৰণি গৌৰৱ ই হেৰুৱাইছে, যিখিনি এতিয়াও আছে তাক জীয়াই ৰাখিবলৈ ই প্ৰাণপণে চেষ্টা কৰিছে। ইয়াৰ নৌ শক্তিৰ জোৰতে ই নিৰাপদ আছিল, ইয়াৰেই ই অতদিন আনাৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিছিল, সাম্ৰাজ্য গঢ়ি তুলিব পাৰিছিল। সেই নৌ বল আৰু আগৰ দৰে নাই। এদিন আছিল অৱশ্যে সেইটো বেছি দিনৰ কথা নহয় যেতিয়া আন যি কোনো দুখন ডাঙৰ দেশৰ নৌ বাহিনী একত্ৰিত কৰিলে যি হয় ইংলেণ্ডৰ অকলে নৌ বাহিনী আছিল তাতকৈ ডাঙৰ আৰু বেছি শক্তিশালী। এতিয়া ইংলেণ্ডে এই বিষয়ত যুক্তৰাষ্ট্ৰৰ সমান যুঁজি দাবী কৰে। প্ৰয়োজন হলে যুক্তৰাষ্ট্ৰই অতি বেগা-বেগিকৈ জাহাজ তৈয়াৰ কৰি ইংলেণ্ডক পিছ পেলাই যাব পাৰিব, সেই সম্বল সেইখন দেশৰ আছে। আজিৰ দিনত নৌ বলতকৈ ডাঙৰ কথা হৈছে বিমানৰ বল। এই বিষয়ত ইংলেণ্ডৰ শক্তি এতিয়াও আগতকৈ কম; বহুতো দেশ আছে, যাৰ যুদ্ধ বিমানৰ সংখ্যা ইংলেণ্ডতকৈ বেছি। বাণিজ্যত যি ইয়াৰ প্ৰাধান্য আছিল সিও নোহোৱা হৈছে, আকৌ তাক ঘূৰাই অনাৰ আশাও নাই। যি বিৰাট ৰপ্তানি বাণিজ্য এদিন ইয়াৰ আছিল, সিও ক্ৰমে কমি গৈছে। উচ্চ শুল্ক প্ৰাচীৰ প্ৰাকাৰ তৈয়াৰ কৰি, সাম্ৰাজ্যৰ দেশবোৰৰ ব্যৱসায় বাণিজ্যক সুবিধা দি ই সাম্ৰাজ্যৰ ভিতৰৰ বজাৰখন ইয়াৰ পণ্যৰ কাৰণে সংৰক্ষিত কৰি ৰাখিবলৈ চেষ্টা কৰিছে। এই কথাটোৰ অৰ্থ, সাম্ৰাজ্যৰ বাহিৰেও গোটেই পৃথিৱীজুৰি বাণিজ্য চলোৱাৰ উচ্চকাংক্ষা ই পৰিত্যাগ কৰিছে।

টকা কড়িৰ বজাৰ লৈ আমেৰিকাৰ লগত ইংলেণ্ডৰ তুমুল সংগ্ৰাম হৈছিল, সেই যুদ্ধত ইংলেণ্ড জিকিছে। বিশ্ববাণিজ্যৰ ক্ষেত্ৰত আজিও মূলধনৰ বজাৰ ইয়েই চলাইছে। লণ্ডন চহৰ আজিও তাৰ মুদ্ৰা বিনিময়ৰ কেন্দ্ৰ। কিন্তু বিশ্বজুৰি বাণিজ্যৰ বিস্তাৰ ক্ৰমশঃ সংকীৰ্ণ হৈ আহিছে; ইয়াৰ ফলত গৌৰৱ আৰু মূল্যও

পিয়নেই কৰি আহিছে। ইংলেণ্ড আৰু আন আন দেশবোৰে তেওঁলোকৰ অৰ্থনৈতিক জাতীয়তাবাদ শুল্ক প্ৰাচীৰ আদিৰে নিজেই বিশ্ব বাণিজ্যৰ সেই বিস্তাৰ কমাই আনিছে। বিশ্ব বাণিজ্য যদি চলিও থাকে, বৰ্ত্তমানৰ এই পুঁজিবাদী ব্যৱস্থা যদি তিষ্ঠিও থাকে, তথাপি টকা কড়িৰ বজাৰত যি নেতৃত্ব ইংলেণ্ডত আজিও আছে, সি শেষলৈ লণ্ডনৰপৰা নিউইয়ৰ্কৰ হাতত পৰিবগৈ; এই বিষয়ে সন্দেহ নাই। কিন্তু খুব সম্ভৱ এইটো ঘটনাৰ আগতেই পুঁজিবাদী ব্যৱস্থাৰ ভিতৰত বহুতো পৰিবৰ্ত্তন ঘটিব।

ইংলেণ্ডৰ এটা খ্যাতি আছে, পৰিবেশৰ পৰিবৰ্ত্তনৰ লগে লগে ই নিজকে সলনি কৰি লব পাৰে, তাৰ লগত খাপ খুৱাই লব পাৰে। ইয়াৰ এই খ্যাতি মিছাও নহয়। যিমান পৰলৈ ইয়াৰ সামাজিক ভিত্তিত আঘাত নালাগে তেতিয়ালৈকে ইয়াৰ মালিক শ্ৰেণীয়ে নিজৰ ঠাইত স্থিৰ হৈ বহি থাকিব পাৰে এই কথা অতি সঁচা। কিন্তু যদি ইয়াৰ সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন আহে, নিজক সলনি কৰি লবৰ এই ক্ষমতাৰ বলত তেতিয়া ই সেই বিষম পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিবনে নোৱাৰে তাক কোনেও কব নোৱাৰে। এনে ধৰণৰ এটি পৰিবৰ্ত্তন বৰ নিৰলে আৰু সহজভাৱে সম্পন্ন হৈ যাব'। এইটো বৰ অসম্ভৱ বুলি মনে ধৰে। শক্তি আৰু সুযোগ যিসকলে অধিকাৰ কৰি বহি আছে, তেওঁলোকে অম্লান বদনে সেইটো এৰি নিদিয়ে।

এই সময়ৰ ভিতৰতে জগতৰ কৰ্মক্ষেত্ৰৰপৰা পিছলি পিছলি ইংলেণ্ডে আশ্ৰয় লৈছেহি ইয়াৰ সাম্ৰাজ্যৰ ভিতৰত। সেই সাম্ৰাজ্য ৰখাৰ কাৰণেই ই ইয়াৰ গঠনত ডাঙৰ ডাঙৰ পৰিবৰ্ত্তন সাধন কৰিবলৈ স্বীকাৰ কৰি লৈছে। ডমিনিয়ণবোৰে অলপ স্বাধীনতা পাইছে, যদিও এইবোৰ এতিয়াও বৃটেনৰ আৰ্থিক ব্যৱস্থাৰ লগত বহু প্ৰকাৰে সাঙোৰ খাই আছে। ইয়াৰ এই ডমিনিয়নবোৰক প্ৰসন্ন কৰি ৰখাৰ কাৰণে ইংলেণ্ডে বহুতো ত্যাগ স্বীকাৰ কৰিছে; তথাপি এইবোৰৰ লগত ইয়াৰ সংঘাত হৈছে। অষ্ট্ৰেলিয়াৰ হাত-ভৰি সকলো বেঙ্ক অব ইংলেণ্ডৰ ৰচিবে বন্ধা। জাপানীসকলৰ আক্ৰমণৰ ভয়তো ই ইংলেণ্ডৰ লগত ঘনিষ্ঠ সম্বন্ধ ৰাখিছে। কানাডাৰ শিল্প ব্যৱসায় গঢ়ি উঠিছে; ইংলেণ্ডৰ কিছুমান শিল্পৰ লগত ইয়াৰ প্ৰতিদ্বন্দ্বিতা চলিছে। সেই প্ৰতিদ্বন্দ্বিতাই ইংলেণ্ডক পথ এৰি দি আঁতৰি থাকিবলৈ ই মান্তি নহয়। ওচৰ চুবুৰীয়া দেশ যুক্তৰাষ্ট্ৰৰ লগতো কানাডাৰ বহুৰকমে সম্পৰ্ক আছে। দক্ষিণ আফ্ৰিকাৰ মনত সাম্ৰাজ্যৰ প্ৰতি বৰ বেছি প্ৰীতি নাই—অৱশ্যে এদিন যি তিক্ত সম্পৰ্ক এওঁলোকৰ মাজত আছিল সেইটো এতিয়া কমি গৈছে। আয়াৰলেণ্ড নিজৰ ভৰিত থিয় হৈ আছে; ইংলেণ্ডৰ লগত ইয়াৰ বাণিজ্য যুদ্ধৰ এতিয়াও শেষ হোৱা নাই। ইংলেণ্ডে আইৰিচ বস্তুৰ ওপৰত শুল্ক বহুৱাইছিল, ভাবিছিল এইদৰে ভয় দেখুৱাই আৰু হেঁচা দি আয়াৰলেণ্ডক বশ্যতা স্বীকাৰ কৰাব। কিন্তু তাৰ ফল হ'ল বিপৰীত। ইয়াৰ ফলত আয়াৰলেণ্ডে ইয়াৰ শিল্প আৰু কৃষিক বঢ়াবৰ কাৰণে বৰ চকু দিছে, আয়াৰলেণ্ড লাহে লাহে বহুখিনি আত্মনিৰ্ভৰশীল দেশত পৰিণত হৈছে। তাত নতুন নতুন কাৰখানা গঢ়ি উঠিছে, চৰণীয়া পথাৰবোৰ শস্য ক্ষেত্ৰত পৰিণত কৰা হৈছে। কৃষি চৰ্চাত বাঢ়ি গৈছে। যি খাদ্যবস্তু আগতে ইংলেণ্ডলৈ ৰপ্তানী হৈছিল সেইটো এতিয়া নিজৰ দেশৰ মানুহৰ ভোগতেই

লাগিছে; তেওঁলোকৰ জীৱন যাত্ৰাৰ মান বাঢ়ি গৈছে। ইয়াত ডি, ভেলেৰাৰ নীতিৰেই জয় হৈছে। বৃটেনৰ সাম্ৰাজ্যবাদী নীতিৰ আয়াবলেও এভাল কাৰবাৰ দৰে হৈ পৰিছে। সেই হেতু, উক্ত অটোৱা চুক্তিৰ লগত ইয়াৰ কোনোখিনিতে মিল নাই।

এতেকে দেখা গৈছে, ডমিনিয়নবোৰৰ লগত বাণিজ্য সম্পৰ্ক ইংলেণ্ডৰ যি আছে, সেইটোৰপৰা ইয়াৰ লাভৰ আশা বেছি নাই। ভাৰতবৰ্ষৰপৰা হয়তো বহুখিনি লাভ আদায় কৰিব পাৰিলেহেঁতেন কাৰণ ভাৰতবৰ্ষত এখন বিৰাট বজাৰ খোলা আছে। কিন্তু ভাৰতবৰ্ষৰ ৰাজনৈতিক অৱস্থা যি হৈছে, আৰু যি অৰ্থনৈতিক দুৰ্গতি ইয়াৰ দেখা দিছে, সেইটো বৃটেনৰ বাণিজ্যৰ পক্ষে বৰ সুবিধাৰ কথা নহয়। মানুহক ধৰি ধৰি জেলত ভৰাই তেওঁলোকক বৃটেনৰ বস্ত্ৰ কিনিবলৈ বাধ্য কৰাব নোৱাৰিব। মাৰ্কেষ্টাৰত অলপতে মি: ষ্টানলী বলডুইনে কৈছে -

'ভাৰতবৰ্ষক যেতিয়া আমি আদেশ দিব পাৰিছিলো, ক'ব পাৰিছিলো তেওঁলোকৰ বস্ত্ৰ বাহানী তেওঁলোকে কেতিয়া কিনিব, ক'ৰপৰা কিনিব, কিন্তু এতিয়া সেই দিন আৰু নাই। বাণিজ্যক বচাই ৰখাৰ উপায় হৈছে সম্ভাৱ। চক্ষীনৰ ভৰ দেখুৱাই ভাৰতবৰ্ষৰ ওচৰত মাল বেচিব আমি আৰু কোনো দিনেই নোৱাৰিব।'

ভাৰতবৰ্ষৰ ভিতৰুৱা অৱস্থাটো যি আছে আছেই, তাৰ উপৰিও জাপানৰ মাৰাত্মক প্ৰতিযোগিতাৰ লগতো ইংলেণ্ডই যুঁজিবলগীয়া হৈছে। ইয়াত, প্ৰাচ্যজগতৰ আন ঠাইতো, আৰু কিছুমান ডমিনিয়নৰ ভিতৰতো।

যিখিনি এতিয়াও আছে তাক বচাই ৰাখিবৰ কাৰণেও ইংলেণ্ডে প্ৰাণপণে চেষ্টা কৰিছে। ইয়াৰ সাম্ৰাজ্যখনক এটি অখণ্ড দেহত পৰিণত কৰিবলৈ বিচাৰিছে। আন আন বিবোৰ সৰু সৰু দেশ আছে, তাৰ লগত সম্পৰ্ক স্থাপন কৰিছে; যেনে ডেনমাৰ্ক, বা স্কাণ্ডিনেভিয়াৰ দেশবোৰ, সেইবোৰকো ইয়াৰ লগত যোগ কৰি লৈছে। এই নীতিটো ই মানি লৈছে বাধ্য হৈয়েই ইয়াৰ বাহিৰে আৰু এই অৱস্থাত আন উপায় নাই। আনকি যুদ্ধৰ সময়ত আত্মৰক্ষা কৰিবৰ কাৰণেও ই আৰু আত্মনিৰ্ভৰশীল হ'ব লাগিব। এতেকে এতিয়া ই ইয়াৰ কৃষিকো বঢ়াই তুলিবলৈ বিচাৰিছে। অৰ্থনৈতিক জাতীয়তাবাদ প্ৰতিষ্ঠাৰ এই সাম্ৰাজ্যবাদী নীতি ইয়াৰ কিমানখিনি সাৰ্থক হ'ব তাক এতিয়া কোনেও ক'ব নোৱাৰে। এই নীতিৰ বাটত কি কি বাধা তাৰ বহুতেৰে কথা মই কৈছোঁ। আৰু যদি পাঁচকেৰে ই বিফল হয় তেন্তে সাম্ৰাজ্যৰ গোটেই গাঁঠনিয়েই ভাঙি পৰিবলৈ বাধ্য; ইংৰাজ জাতিয়ে তেতিয়া বহুখিনি দুখীভাৱে জীৱন যাপন কৰিব লাগিব যদিহে তেওঁলোকে সমাজবাদী অৰ্থনীতি গ্ৰহণ নকৰে। কিন্তু এই নীতি যদি সফল হয় তেন্তে তাৰ বাবতো বিপদৰ সম্ভাৱনা প্ৰচুৰ। কাৰণ ইয়াৰ ফলত হয়তো ইউৰোপৰ বহু দেশৰ সৰ্বনাশ উপস্থিত হ'ব সেইবোৰ দেশৰ কাৰণে বাণিজ্যৰ বাট নোহোৱাৰ। তেতিয়া ইংলেণ্ডৰ বন্ধুবোৰ যদি দেউলীয়া হয় তেন্তে তাৰ পাছত আকৌ ইংলেণ্ডৰ অৱস্থা বিপন্ন হৈ পৰিব।

জাপান আৰু আমেৰিকাৰ লগতো অৰ্থনৈতিক সংঘৰ্ষ ইয়াৰ হবই। যুক্তৰাষ্ট্ৰ কানাডাতো বহু দিনৰপৰা ইয়াৰ প্ৰতিদ্বন্দ্বিতা চলিছে, আৰু পৃথিৱীৰ এতিয়া যি অৱস্থা, যুক্তৰাষ্ট্ৰই ইয়াৰ বিৰাট সমৃদ্ধি সত্ত্বেও যেনেকৈ আওতাই ৰাখিছে—আৰু ইংলেণ্ড

বহুত পিছ পৰি থাকিব। এই কাৰণে দুটা কাম হ'ব পাৰে—হয় ইংলেণ্ডে ইয়াত পৰাজয়ক সহজভাৱে মানি ল'ব, আৰু নহলে যুদ্ধ কৰিব, যিখিনি ইয়াৰ এতিয়াও আছে, সিও যদি নোহোৱা হয় তেন্তে ই ইমান দুৰ্ব্বল হৈ পৰিব যে প্ৰতিদ্বন্দ্বী-সকলক যুদ্ধলৈ আহ্বান কৰাৰ সামৰ্থও ইয়াৰ নোহোৱা হ'ব। এতেকে সেইটো স্থিতি থাকোতেই তাক জীয়াই ৰাখিবলৈ এটা শেষ চেষ্টা ই কৰি চাব।

আৰু এটা ডাঙৰ প্ৰতিদ্বন্দ্বী ইংলেণ্ডৰ আছে—চোভিয়েট ইউনিয়ন। এওঁলোকৰ নীতি পৰস্পৰৰ সম্পূৰ্ণ বিপৰীত। য়ুৰোপ আৰু এচিয়াৰ সকলোতে দুয়ো দুয়োৰে বিৰুদ্ধে চক্ৰান্তৰ জাল পাতিছে। এতিয়াও কিছুদিন হয়তো এই দুখন দেশে দুয়ো দুয়োৰে প্ৰতি সন্তাৱ দেখুৱাই চলিব কিন্তু এওঁলোক দুয়োৰে মাজত মিলন হোৱা একেবাৰে অসম্ভৱ। কাৰণ এই দুয়ো দুটা সম্পূৰ্ণ বিভিন্ন আদৰ্শৰ উপাসক।

ইংলণ্ড এতিয়া এখন সন্তুষ্ট দেশ—ই যি বিচাৰে তাকেই পায়। ইয়াৰ কেৱল ভয় কিজানি ইয়াক হেৰুৱাব লাগে। সেই ভয় মিছাও নহয়। আগৰ অৱস্থাটো ৰাখিবৰ কাৰণে আৰু তাৰ বলতে আজি যি অৱস্থা হৈছে—তাক জীয়াই ৰাখিবলৈ ই প্ৰাণপণে চেষ্টা কৰিছে। লীগ-অৱ-নেচনচক্ এই উদ্দেশ্যৰেই ই কামত লগাইছে। কিন্তু ঘটনাৰ চকৰি এনে দ্ৰুত গতিৰে ঘূৰিব ধৰিছে তাক বাধা দিয়াৰ শক্তি ইয়াৰ নাই, যা আন কোনো দেশৰেই নাই। আজি ইংলেণ্ডৰ শক্তি আছে তাত সন্দেহ নাই, কিন্তু সাম্ৰাজ্যবাদী শক্তি স্বৰূপে ই দিনে দিনে দুৰ্ব্বল হৈ পৰিছে। ইয়াৰ এই বিশাল সাম্ৰাজ্যৰ বেলি আজি বুৰ যাওঁ যাওঁ হৈছে তাৰ সেই সন্ধিয়াৰ ছাঁ আমি দেখিবলৈ পাইছোঁ।

এইবাৰ সাগৰ পাৰ হৈ ব'লা য়ুৰোপ মহাদেশলৈ। প্ৰথমতে আছে ফ্ৰান্স, ইও সাম্ৰাজ্যবাদী দেশ, ইয়াৰ আফ্ৰিকাত আৰু এচিয়াত বিৰাট সাম্ৰাজ্য আছে। সামৰিক আয়োজনৰ কামৰ পৰা য়ুৰোপত ইয়ে আটাইতকৈ শক্তিশালী দেশ।*

এটি বিৰাট সৈন্য বাহিনী আছে ইয়াত। আৰু কিছুমান দেশ ইয়াৰ নেতৃত্বলৈ সংঘবদ্ধ হৈছে,—পোলেণ্ড, চেকোশ্লাভকিয়া বেলজিয়াম, ৰুমানিয়া, যুগোশ্লাভিয়া। তথাপি কিন্তু জাৰ্মাণীৰ ৰণৰ পিয়াহ দেখি ভয় খাইছে, বিশেষকৈ হিটলাৰ শাসন প্ৰবৰ্ত্তন হোৱাৰ পিছৰ পৰা। পুঁজিবাদী ফ্ৰান্স আৰু চোভিয়েট ৰুচিয়া, এই দুখন দেশৰ দুয়োৰ প্ৰতি মনোভাৱৰ এটি আচৰিত পৰিৱৰ্ত্তন ঘটিছে—সেই পৰিৱৰ্ত্তনৰ কাৰণে প্ৰশংসা অৱশ্যে হিটলাৰেই পোৱা উচিত। দুয়োৰে একে শত্ৰু—সেই শত্ৰুৰ ভয়তে এওঁলোক মিত্ৰ হৈ পৰিছে।

জাৰ্মাণীত নাজীৰ অত্যাচাৰ এতিয়াও চলিছে। প্ৰত্যেক দিনেই নতুন নতুন নিষ্ঠুৰতাৰ, নতুন নতুন অত্যাচাৰৰ বাতৰি আহিছে। এই নৃশংস অভিযান কিমান

---

* জাৰ্মাণীয়ে পুনৰায় অস্ত্ৰশস্ত্ৰত সজ্জিত হোৱাৰ পিছত এতিয়া আৰু এই কথা খাটাটে। ১৯৩৮ চনৰ চেপ্তেম্বৰ মাহত সম্পাদিত মিউনিক চুক্তিৰ পিছত ফ্ৰান্স প্ৰায় দ্বিতীয় শ্ৰেণীৰ শক্তিত পৰিণত হৈছে। মধ্য য়ুৰোপৰ আন আন দেশৰ লগত তাৰ মিত্ৰতা চুক্তি ভাঙি গৈছে।

গিল চলিব সেইটো কোৱা টান। এচিয়ালৈকে ই বহু দূৰ বাঢ়ি চলি গৈছে। এচিয়াও তাৰ তীব্ৰতা কোনো বিধৰে কম নাই। এনে ধৰণৰ দমন নীতি কেতিয়াও চৰকাৰৰ স্থায়িত্বৰ কাৰণ হ'ব নোৱাৰে। জাৰ্মাণীৰ যদি যথেষ্ট সামৰিক শক্তি থাকিলহেঁতেন তেন্তে খুব সম্ভৱ ইতিমধ্যে য়ুৰোপত এখন যুদ্ধ আৰম্ভ হৈ গ'লহেঁতেন। সেই যুদ্ধৰ সম্ভাৱনা এতিয়া আঁতৰি যোৱা নাই। হিটলাৰে ঘোষণা কৰিছে—কমিউনিজিমৰপৰা ৰক্ষা পাবলৈ হলে তেৱেঁই হৈছে শেষ আশ্ৰয়ৰ স্থল। কথাটো সঁচাও হ'ব পাৰে, কাৰণ জাৰ্মাণীত এতিয়া হিটলাৰৰ নীতি নামানিবলৈ হলে একমাত্ৰ গতি হৈছে কমিউনিজিম।

ইটালী আছে মুচলিনীৰ শাসনত। আন্তৰ্জাতিক ৰাজনীতিৰ কাষে থাতি হিচাপ কৰি, আৰু স্বাৰ্থপৰতাৰ চকুৰে চাইছে আন আন দেশৰ দৰে—'শান্তি' আৰু 'সৎ-উদ্দেশ্য' আদিৰ সম্বন্ধে ডাঙৰ বাণী উচ্চাৰণ কৰা নাই। ই প্ৰাণ-পণে যুদ্ধৰ আয়োজন কৰিছে। কাৰণ ইয়াৰ দৃঢ় বিশ্বাস আৰু অলপ দিনৰ ভিতৰতে যুদ্ধ নহৈ নোৱাৰে। তাৰ কাৰণে ই এটা ভাল ঠাই পাবৰ কাৰণে চেষ্টা চলাইছে নিজে ফেচিষ্ট, এতেকে জাৰ্মাণীত ফেচিজিমৰ প্ৰবৰ্ত্তনত এই দেশে অভিনন্দন জনাইছে। হিটলাৰ পন্থীসকলৰ লগত সদ্ভাৱ ৰাখি চলিছে। কিন্তু জাৰ্মাণসকলৰ কূটনীতিৰ যিটো ডাঙৰ লক্ষ্য—অষ্ট্ৰিয়াৰ লগত মিত্ৰতা স্থাপন সেইটোৰ ই বিৰোধী। তেনেধৰণৰ মিত্ৰতা স্থাপিত হলে জাৰ্মাণীৰ সীমাৰ ৰেখা একেবাৰে ইটালীৰ সীমাৰ ওচৰ পাবহি। জাৰ্মাণীত থকা ফেচিষ্টতাই তেওঁৰ ইমান গাৰ ওচৰলৈ অহাটো মুচলিনীয়ে ভাল নাপায়।*

মধ্য য়ুৰোপত বৰ চাঞ্চল্যই দেখা দিছে। তাত বহুতো সৰু সৰু জাতিৰ বসতি। সকলোৰে হেঁচাত এইবোৰৰ দুৰ্দশাই সীমা চেৰাই গৈছে। বিশ্বযুদ্ধৰ পৰৱৰ্ত্তী কালৰ পৰিণতিৰ হেঁচাও এওঁলোকে চম্ভালি উঠিব পৰা নাই। তাৰ উপৰিও আকৌ এতিয়া হিটলাৰ আৰু তেওঁৰ নাজীসকলৰ কথাবতৰা দেখি এওঁলোক সকলোৱেই বিকল হৈ পৰিছে। মধ্য য়ুৰোপৰ এই দেশবোৰৰ সকলোতেই বিশেষকৈ য'ত জাৰ্মাণ অধিবাসী আছে, যেনে অষ্ট্ৰিয়াত, বহুতো নাজী দল গঢ়ি উঠিছে। কিন্তু নাজী-বিৰোধী মনোভাৱ তাৰ লগে লগে বাঢ়ি গৈছে। ইয়াৰ ফল হব সংঘাত। এই সংঘাতৰ ঘাটি ক্ষেত্ৰ হ'ব অষ্ট্ৰিয়া।

কিছুদিন আগতে, বোধহয় ১৯৩২ চনত মধ্য য়ুৰোপ আৰু দানিয়ুব অঞ্চলৰ ফ্ৰান্সৰ অনুৰাগী ৰাষ্ট্ৰ তিনিখনে অৰ্থাৎ ৰুমেনিয়া, চেকোশ্লোভেকিয়া, আৰু যুগো-শ্লাভিয়াই একত্ৰিত হৈ এটা সংঘ বা মিত্ৰদল গঠন কৰিছে, ই যুদ্ধ কৰাৰ আৱশ্য-কীয়তাত গঢ়ি উঠা মিত্ৰতা। এই তিনিখন ৰাষ্ট্ৰ লৈ গঠিত এই সৰু ঐক্যৰ ৰাষ্ট্ৰচক্ৰেও য়ুৰোপত এটি ডাঙৰ শক্তি হৈ উঠিছে। এই শক্তি ফ্ৰান্সৰ সমৰ্থক, জাৰ্মাণীৰ বিৰোধী। এতেকে ইটালীৰ নীতিৰো বিৰোধী। ইয়াক 'লিটিল

---

* ১৯৩৮ চনৰ মাৰ্চ মাহত জাৰ্মাণীয়ে অষ্ট্ৰিয়া আক্ৰমণ কৰি দখল কৰে। অৱশ্যে সেইমতে মুচলিনীয়ে এইটো স্বীকাৰ কৰি লবলৈ বাধ্য হ'ল; কিন্তু ইটালীয়ে তীব্ৰ ভাষাৰে ইয়াৰ প্ৰতিবাদ কৰিলে।

আতাঁত' বুলি অভিহিত কৰা হৈছিল। হিট্লাৰতন্ত্ৰৰ আবিৰ্ভাৱ দেখি আৰু তাৰ ভয়ত মধ্য য়ুৰোপ আৰু পূব অঞ্চলৰ যি দেশবোৰে ইমান দিন পৰস্পৰৰ প্ৰতি তীব্ৰ বিদ্বেষ পোষণ কৰি আহিছে, তেওঁলোকেও আহি ওচৰাওচৰিকৈ থিয় হ'ল। "লিটিল আতাঁত', পোলেণ্ড, অষ্ট্ৰীয়া, হাঙ্গেৰী, বলকান অঞ্চলৰ ৰাজ্যবোৰ কোনো বাদ নপৰিল। এওঁলোকৰ মাজত এটি অৰ্থনৈতিক ঐক্য স্থাপনৰ কথাও চলিছে। জাৰ্মাণীত নাজীসকলৰ আবিৰ্ভাৱৰ পিচৰপৰা এই দেশবোৰ বিশেষকৈ পোলেণ্ড আৰু চেকোশ্লোভিকিয়া, চোভিয়েট ৰুচিয়াৰ প্ৰতিও বৰ বন্ধুভাবাপন্ন হৈ উঠিছে। ইয়াৰেই ফল হৈছে, এটা সমূহীয়া অনাআমক্ৰণ চুক্তি—কেই সপ্তাহমান হ'ল এওঁলোকৰ আৰু ৰুচিয়াৰ ভিতৰত এই চুক্তি সম্পন্ন হৈছে।

তোমাক কৈছোঁৱেই স্পেইনত এটি বিপ্লৱ হৈ গৈছে। এতিয়ালৈকে ইয়াৰ অৱস্থা শান্ত হোৱা নাই। তাতো এটি পৰিৱৰ্ত্তনৰ আয়োজন চলিছে বুলি ধাৰণা হয়। এতেকে দেখিছা য়ুৰোপ এতিয়া পৰিণত হৈছে এখন ডবা খেলত ইয়াৰ সকলোতে সংঘাত আৰু বিদ্বেষৰ মেৰপাক, পৰস্পৰ প্ৰতিদ্বন্দ্বী জাতিবোৰে একো একোফালে দল বান্ধি পৰস্পৰৰ ফালে কেৰাহিকৈ চাই আছে। নিৰস্ত্ৰীকৰণৰ কাৰণে অবিৰাম জল্পনা কল্পনা চলিছে আৰু সকলোৱেই সকলো সময়তে অস্ত্ৰ-শস্ত্ৰ সংগ্ৰহ কৰিছে। যুদ্ধ আৰু ধ্বংসৰ কাৰণে মাৰাত্মক সকলো অস্ত্ৰ শস্ত্ৰৰ আবিষ্কাৰ কৰিছে। আন্তৰ্জাতিক সহযোগিতা লৈও বহুকথা কোৱা হৈছে; কিমান যে সন্মিলন বহুৱা হৈছে তাৰ লেখ জোখ নাই। কিন্তু কাম একো হোৱা নাই। লীগ অব নেচনচ্ নিজেই ব্যৰ্থতাৰ এটি দুখলগা নিদৰ্শন। একেলগ হৈ চলাৰ এটি শেষ চেষ্টা হৈছিল নিখিল বিশ্ব অৰ্থনৈতিক সন্মিলনত।সেই সন্মিলন বহিলো ভাগিও গ'ল; কাম একো নহ'ল। এতিয়া প্ৰস্তাৱ কৰিছে য়ুৰোপৰ সকলো দেশ, অৰ্থাৎ ৰুচিয়াৰ বাহিৰে য়ুৰোপৰ বাকী দেশবোৰ একত্ৰিত হৈ এটি ইউৰোপীয় যুক্তৰাষ্ট্ৰৰ লেখিয়া ব্যৱস্থাৰ সৃষ্টি কৰিব। ইয়াৰ নাম দিয়া হৈছে 'পান-য়ুৰোপ' নিখিল ইউৰোপতে আন্দোলন। আচলতে ই হৈছে তিনিটা চোভিয়েট বিৰোধী দল গঠনৰ চেষ্টা, তাৰ লগে লগে চলিছে ইমানবোৰ সৰু সৰু দেশ ওচৰা-ওচৰিকৈ থকাৰ ফলত যি বিলাই বিপত্তি আৰু জটিলতাৰ সৃষ্টি হৈছে, তাৰ এটি উপযুক্ত ব্যৱস্থা কৰাৰ চেষ্টা। কিন্তু এওঁলোকৰ ভিতৰত বিদ্বেষ ইমান বেছি যে কোনেও এই কথাত কাণসাৰ দিবলৈ বিচৰা নাই।

আচলতে প্ৰত্যেকখন দেশেই পৰস্পৰৰপৰা বেছি দূৰলৈ আঁতৰি গৈছে। মন্দাবজাৰ আৰু বিশ্ব সংকটৰ ফলত ই আৰু প্ৰবল হৈ উঠিছে। ইয়াৰ হেঁচাত সকলো দেশে অৰ্থনৈতিক জাতীয়তাবাদত মনোনিৱেশ কৰিছে। প্ৰত্যেকেই নিজৰ চাৰিওফালে ওখ শুল্কৰ দেৱাল বান্ধি, তাৰ আঁৰত বহি আছে, বিদেশী বস্তুক যিমানদূৰ সম্ভৱ সিমান বাহিৰকৈ ৰাখিবলৈ চেষ্টা কৰিছে। অৱশ্যে একেবাৰে বিদেশী বস্তুক বৰ্জ্জন কৰি চলিব কোনেও পৰা নাই। কাৰণ কোনো দেশেই আত্ম-নিৰ্ভৰশীল হৈ উঠিব পৰা নাই। অৱশ্যো সকলোৱে যাব যি দৰকাৰ সকলো তৈয়াৰ কৰি লবলৈ চেষ্টা চলাইছে। কিছুমান এনে আৱশ্যকীয় বস্তু আছে বিশেষ কেৱল প্ৰাকৃতিক বা-বতাহৰ কাৰণেই দেশৰ ভিতৰত তৈয়াৰ কৰি লোৱা সম্ভৱ

নহয়। যেনে তুলা, পাট, চাহ, কফি আৰু বহুত বস্তু আছে যিবোৰ ইংলেণ্ডত উৎপন্ন কৰিব নোৱাৰি এইবোৰ গৰম দেশত হোৱা শস্য। ইয়াৰ পৰাই বুজা যায় যে ভৱিষ্যতে বাণিজ্য চলিব কেৱল এনে দেশৰ ভিতৰত যিবোৰৰ জলবায়ু বেলেগ। এই বাণিজ্য চলিব উত্তৰ আৰু দক্ষিণৰ দেশৰ মাজত। পূব আৰু পশ্চিমৰ ভিতৰত নহয়। কাৰণ জলবায়ুৰ পাৰ্থক্য উত্তৰ আৰু দক্ষিণৰ মাজতেই বেছি। এতেকে উত্তৰ আৰু দক্ষিণৰ কথাটোৱেই হ'ব আন্তৰ্জাতিক বাণিজ্যৰ প্ৰধান সূত্ৰ। আন সকলো ৰকমৰ বাণিজ্যক শুল্কৰ প্ৰাচীৰ তুলি বন্ধ কৰি দিয়া হ'ব।

পৃথিৱীৰ ইয়াৰ বাহিৰে আৰু উপায় নাই যেন লাগে। ইয়াক কোৱা হয় শিল্প বিপ্লৱৰ শেষ পৰ্যায়; যেতিয়া প্ৰত্যেকখন দেশেই যথেষ্ট পৰিমাণে শিল্পত ব্ৰতী হ'ব। এই কথা সঁচা যে এচিয়া আৰু আফ্ৰিকাৰ শিল্পসজ্জা সম্পূৰ্ণ হবলৈ এতিয়াও বহুত বাকী। আফ্ৰিকা অতি পিচপৰা আৰু দুখীয়া দেশ; বেছি পৰিমাণে শিল্পজাত বস্তু কিনাতো ইয়াৰ পক্ষে অসম্ভৱ। এতিয়াও বিদেশী বস্তু কিনিব পাৰে যি তিনিখন ডাঙৰ দেশে সেই তিনিখন হৈছে, ভাৰতবৰ্ষ, চীন আৰু চাইবেৰিয়া। এই তিনিখন দেশত এতিয়া ৰব বেছি পৰিমাণে বস্তু বিক্ৰী কৰাৰ আশা আছে। সেয়ে বিদেশী শিল্পপ্ৰধান দেশবোৰে এই কেইখনৰ কালেহে আগ্ৰহেৰে চাই আছে। যিবোৰ বজাৰত সাধাৰণতে এওঁলোকে বস্তু বিক্ৰী কৰিছিল, সেই বহুতৰে দুৱাৰ বন্ধ হৈ গৈছে। এতেকে এওঁলোকে এতিয়া ভাবিছে 'এচিয়াৰ ফালে অভিযান' চলোৱাৰ কথা। কিন্তু এতিয়া এচিয়াক শোষণ কৰা বিমান সহজ নহয়। তাৰ এটি কাৰণ এচিয়াৰ নিজৰো এতিয়া বহুত শিল্প গঢ়ি উঠিছে। আৰু এটা কাৰণ হৈছে আন্তৰ্জাতিক প্ৰতিদ্বন্দিতা। ইংলেণ্ডে ভাৰতক নিজৰ বস্তুৰ বজাৰ কৰিয়েই ৰখাই ৰাখিবলৈ বিচাৰে। জাপান যুক্তৰাষ্ট্ৰ আৰু জাৰ্মানীৰো ইয়াত অলপ এনে প্ৰচেষ্টা চলোৱাৰ ইচ্ছা। চীনতো সেয়ে। তাৰ উপৰিও আকৌ আছে, ইয়াৰ দেশখনৰ বিশৃংখলা আৰু যানবাহনৰ সুব্যৱস্থাৰ অভাৱ। ইয়াৰ কাৰণেও তাত ব্যৱসায় বাণিজ্য চলোৱা টান হৈ পৰিছে। চোভিয়েট ৰুছিয়া বিদেশৰ পৰা বহু পৰিমাণ শিল্পজাত বস্তু কিনিবলৈ ৰাজী, যদি সেইটো ধাৰ স্বৰূপে দিয়া হয়, লগে লগে তাৰ দাম নিবিচাৰে। কিন্তু তাৰ অলপ দিনৰ ভিতৰতে চোভিয়েট ইউনিয়নেও ইয়াৰ বিমান বস্তু দৰকাৰ প্ৰায় সকলোকে নিজে তৈয়াৰ কৰি লব পাৰিব।

আগতে ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু অধিক পৰিমাণৰ আন্তঃৰাষ্ট্ৰীয়তাবাদৰ ইচ্ছা আছিল। বিভিন্ন পৃথক স্বাধীন ৰাষ্ট্ৰ থকা সত্বেও আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু সম্পৰ্কৰ ব্যাপক আৰু জটিল গাঁথনি এটাই গঢ় লৈছিল। এই প্ৰতিক্ৰিয়াই ৰাষ্ট্ৰসমূহ আৰু ৰাষ্ট্ৰীয়তাবাদৰ লগত সংঘাতৰ সৃষ্টি কৰিলে। স্বাভাৱিকতে ইয়াৰ পৰৱৰ্ত্তী পদক্ষেপ হ'ল সমাজবাদ, আন্তঃৰাষ্ট্ৰীয় গাঁথনি এটা। পুঁজিবাদৰ দিন উকলি যোৱাত ই সমাজবাদৰ সপক্ষে অগ্ৰসৰ গ্ৰহণ কৰাৰ সময় উপস্থিত হ'ল। কিন্তু দুখৰ কথা ই স্বেচ্ছাৰে অগ্ৰসৰ নহলে। সঙ্কট আৰু ধ্বংসৰ সন্মুখীন হৈ ই নিজৰ বেৰৰ মাজত সোমাই পুনৰ গঢ়ি তুলিবৰ চেষ্টা কৰিছে। সেই দেখি অৰ্থনৈতিক জাতীয়তাবোধৰ সৃষ্টি হৈছে। কিন্তু কথা হ'ল ই যদি সফল হয়, তথাপি কিমান দিনলৈ ই তিষ্ঠিব?

গোটেই পৃথিৱীতে এটা অদ্ভুত পৰিস্থিতিৰ সৃষ্টি হৈছে, নানান সংঘাত আৰু হিংসাদ্বেষৰ সংমিশ্ৰণ হৈছে ইয়াত। চিন্তা আৰু কৰ্মত যিবোৰ নতুন নতুন ধাৰাৰ আবিৰ্ভাৱ হৈছে সেইবোৰে এই সংঘাতৰ সম্ভাৱনাক আৰু বেচি কৰি তুলিছে। •প্ৰত্যেক মহাদেশতে, প্ৰত্যেক দেশতে এতিয়া দুৰ্বল আৰু উৎপীড়িত জনসাধাৰণে বিচাৰিছে জীৱনৰ সুখ ভোগৰ কাৰণে যি বস্তুৰ আৱশ্যক সেই সকলোবোৰতে তেওঁলোকৰ প্ৰাপ্যখিনি। তেওঁলোকৰ শ্ৰমৰ যোগেদি সেইবোৰ তৈয়াৰ হৈছে; তাৰ ভাগ তেওঁলোকে কিয় নেপাব? সমাজক এওঁলোকে কৈছে, দিয়া আমাৰ সকলো পাবলগীয়া দি দিয়া; বহুদিন আগৰপৰাই সেইবোৰ আমাৰ পাবলগীয়া হৈ আছে। কোনো কোনো ঠাইত এই দাবী তেওঁলোকে তুলিছে জোৰেৰে; কঠোৰ ভাষাৰে, উগ্ৰমূৰ্তি ধৰি, ক'ৰবাত জনাইছে শান্ত ভাবেৰে আৰু শান্ত ভাষাৰে। কিন্তু ইমান দীঘলীয়া দিন ধৰি এওঁলোকৰ ওপৰত যি দুৰ্ব্যৱহাৰ আৰু শোষণ চলি আহিছে, এতিয়া যদি তাৰ কাৰণে তেওঁলোক ক্ষুব্ধ হৈ উঠে তেন্তে তেওঁলোকক দোষাৰোপ কৰাৰ অধিকাৰ আমাৰ আছে নে? তেওঁলোকক তো চিৰকাল আমি অৱহেলাই কৰি আহিছোঁ।

দুৰ্ব্বল আৰু নিপীড়িত জনসাধাৰণৰ এই বিৰাট জাগৰণ দেখি মালিকসকল সকলো ঠাইতে ভয়ত অস্থিৰ হৈ পৰিছে। ইয়াক দমন কৰিবলৈ তেওঁলোকে দল বান্ধিছে। ইয়াৰ ফলতেই আহিছে ফেচিজিম গণতন্ত্ৰ, জনসাধাৰণৰ কল্যাণ আৰু তেওঁলোকৰ মঙ্গল সাধনৰ দায়িত্ব আদি যিমান ডাঙৰ ডাঙৰ কাম এওঁলোকে আগতে লৈছিল, সেইবোৰ আৰু এতিয়া শুনা নাযায়। মালিক শ্ৰেণী আৰু ন্যস্ত স্বাৰ্থৰ নগ্ন শাসন অধিক সুস্পষ্ট হৈ উঠিছে আৰু বহুত ঠাইত ই জয়ী হোৱা যেন দেখা গৈছে। কঠিন যুগ এটাই দেখা দিছে এই যুগ উগ্ৰ হিংসাত্মক। কিয়নো সকলো ঠাইতে এই যুদ্ধ হ'ল পুৰণি আৰু নতুন পদ্ধতিৰ মাজত চলা জীৱন মৰণৰ যুদ্ধ। য়ুৰোপ, আমেৰিকা বা ভাৰত সকলোতে ডাঙৰ পণ কৰা হৈছে আৰু পুৰণি আমোলৰ ভাগ্য অনিশ্চিত হৈ আছে। অৱশ্যে সদ্যহতে ই টান খোপনি পুতি আছে। আংশিক সংস্কাৰ সমস্যাৰ জোখাৰে হব নোৱাৰে বা ইয়াৰ সমাধান কৰিব নোৱাৰে। সাম্ৰাজ্যবাদী পুঁজিবাদী গোটেই পদ্ধতিৰে ভোটি লৰিছে আৰু ই ইয়াৰ দেনা শোধ কৰিব নোৱাৰে।

ৰাজনীতিলৈ, অৰ্থনীতি লৈ, জাতিগত কথা লৈ বৰ বেছি বিৰোধ চলিছে। পৃথিৱীত ইয়াৰ ধোৱাঁৰে আকাশ আচ্ছন্ন হৈ পৰিছে। তাৰ লগে লগে আসন্ন হৈ আহিছে যুদ্ধৰ কলা ছাঁ। এই বুলিও কোৱা হৈছে যে এই অসংখ্য ধৰণৰ বিৰোধৰ মাজত সকলোতকৈ ডাঙৰ হৈছে, এফালে সাম্ৰাজ্যবাদ আৰু ফেচিজিম আৰু আনফালে কমিউনিজিমৰ বিৰোধ। পৃথিৱীৰ সকলো ঠাইতে এইবোৰ মুখামুখি হৈ থিয় দি আছে, এওঁলোকৰ মাজত আপোচ হোৱাৰ কোনো সম্ভাৱনা আৰু নাই।

সামন্তবাদ পুঁজিবাদ, সমাজতন্ত্ৰবাদ চিণ্ডিকেলিজম, এনাৰ্কিজম, কমিউনিজিম আদি পৃথিৱী জুৰি কেতবোৰ 'বাদ' ৰ অৰিয়া-অৰি। আৰু এই সকলোৰে পিচত ছায়ামূৰ্ত্তি ধৰি থিয় দি আছে সুবিধাবাদ। যি সকল আত্মাহানিভূ আদৰ্শবাদও

আছে তেওঁলোকৰ কাৰণে। অৰ্থহীন সপোন, বা অলীক কল্পনাৰ আদৰ্শবাদ নহয়—সি প্ৰকৃত আদৰ্শবাদ যি আমাক শিকায় মানৱজাতিৰ বৃহত্তৰ কল্যাণৰ কাৰণে কাম কৰি যাবলৈ আদৰ্শক বাস্তৱত পৰিণত কৰিবৰ কাৰণে। জৰ্জ বাৰ্ণাৰ্ড শ্বই এঠাইত কৈছে—'এইটো জীৱনৰ প্ৰকৃত আনন্দ যি উদ্দেশ্য আপুনি নিজে অতি মহৎ বুলি জানে তাৰ সাধনাত ব্ৰতী হোৱা, অকামিলা বুলি আৱৰ্জনাৰ দমত নিক্ষিপ্ত হোৱাৰ আগতে যিখিনি দিয়াৰ শক্তি আপোনাৰ ভিতৰত আছিল তাক শেষ কৰি দিয়া।'

ইতিহাসৰ যিখিনি আলোচনা কৰিলো তাতেই দেখিছো পৃথিৱীখন কি ধৰণে বেছি দৃঢ় বন্ধনত বান্ধ খাই উঠিছে, ইয়াৰ বেলেগ বেলেগ অংশ কিদৰে পৰস্পৰৰ ওচৰ চাপিছে; পৰস্পৰ নিৰ্ভৰশীল হবলৈ শিকিছে। প্ৰকৃততে গোটেই পৃথিৱীখনেই এতিয়া পৰিণত হৈছে এটি অখণ্ড ভাগ কৰিব নোৱাৰা সম্পূৰ্ণ দেহত ইয়াৰ প্ৰত্যেকটি অঙ্গই আন অঙ্গবোৰক প্ৰভাবান্বিত কৰিছে; সেইবোৰৰ দ্বাৰা প্ৰভাবিত হৈছে। বিভিন্ন জাতিৰ ইতিহাসক সম্পূৰ্ণ বেলেগ ভাৱে ৰচনা কৰা এতিয়া একেবাৰেই অসম্ভৱ। সেই যুগ আমি বহুদিনৰ আগতে পাৰ হৈ আহিছো। এতিয়া যদি সাৰ্থক উদ্দেশ্যৰ ইতিহাস ৰচনা কৰিবলগীয়া হয় তেন্তে সেই ইতিহাস হব এখন অখণ্ড বিশ্ব ইতিহাস। সকলো দেশৰ সকলো কাহিনীৰ ঠাঁই তাত আহি মিলিব; যি শক্তিয়ে প্ৰকৃততে পিচত থিয় হৈ তেওঁলোক সকলোকে পৰিচালিত কৰিছে তাৰ পৰিচয় বিচাৰ কৰিবলৈ ই চেষ্টা চলাব।

অতীত কালত যেতিয়া বিভিন্ন দেশ আৰু জাতি নানান ভৌগোলিক আৰু আন আন বাধা বিঘিনিয়ে পৰস্পৰৰ পৰা বেলেগ হৈ আছিল, তেতিয়াও নানান সাৰ্বজনীন আন্তৰ্জাতিক আৰু আন্তঃমহাদেশীয় প্ৰবৃত্তিৰ আকৰ্ষণৰে কিভাৱে এইবোৰ একে ধৰণে গঢ়ি উঠিছিল তাৰ বিৱৰণ আমি পাইছো। ডাঙৰ লোকসকল ইতিহাসত সদায় স্মৰণীয় হৈ আছে। কিন্তু ব্যক্তিত্বকৈও ডাঙৰ হৈছে সেইবোৰ কৰ্মৰত মহাশক্তি যি প্ৰায় নিৰ্দয় গতিৰে আগুৱাই চলিছে। ইয়াৰ সেই দ্ৰুতগতিৰ আলোড়নত আমি ইফালে সিফালে ছিটিকি পৰিছো।

আমাৰ আজি সেয়ে অৱস্থা। বহুতো ডাঙৰ শক্তিৰ প্ৰকাশ আমি দেখিবলৈ পাইছো। লাখ লাখ কোটি কোটি মানুহৰ যি শক্তি ই চলাই নিছে সেইবোৰৰ তাড়নাত মানৱজাতি চলিছে; ভূমিকম্প বা অন্য কোনো প্ৰাকৃতিক বিপৰ্যয়ৰ তাড়নাত কিদৰে ঘূৰি ফুৰে। হাজাৰ চেষ্টা কৰিলেও সেই শক্তিক ৰখাব আমি নোৱাৰো। আমাৰ নিজৰ কপেৰে এইবোৰৰ আগত আমি থিয় হওঁ. কোনোৱে তাকে দেখি ভয় খায়, কোনোৱে তাক অভ্যৰ্থনা জনায়, কোনোৱে তাক বাধা দিবলৈ চেষ্টা কৰে, কোনোৱে আকৌ অসহায়ৰ দৰে তাক আত্মসমৰ্পণ কৰে।

অশান্তিৰে ভৰা এই কুৰি শতিকা। ইয়াৰ মাজত থাকি শান্তিৰে দিন কটোৱাৰ কাম আমাৰ কপালত নাই। ইতিমধ্যে এই শতিকাৰ এক তৃতীয়াংশ কাল শেষ হৈ গৈছে; যুদ্ধ বিপ্লৱ আদি একেবাৰেই ইয়াত অভাৱ হোৱা নাছিল। ফেচিষ্ট শিৰোমণি মুছলিনীয়ে কৈছে গোটেই পৃথিৱী জুৰিয়েই বিপ্লৱ চলিছে। ঘটনাৰ সোঁতে নিয়তিৰ দৰে বিৰাট শক্তিৰে আমাক আগুৱাই লৈ গৈ আছে।” আৰু

সেই বিখ্যাত কমিউনিষ্ট ট্রট্‌স্কিয়েও আমাক সতর্ক কৰি দিছে, এই শতিকাত কাম কৰি বিশেষ কোনো শান্তি বা সুখ যেন আমি আশা নকৰোঁ। তেওঁ কৈছে "এইটো কটকটীয়াকৈ দেখা গৈছে এই কুৰি শতিকাত বিমান অশান্তি আৰু উদ্বেগৰে পৰিপূৰ্ণ মানুহৰ ইতিহাসত এনে কেতিয়াও আৰু হোৱা নাই। আমাৰ এই কাল হোৱাত যদি কোনোৱে শান্তি আৰু আৰামকে সকলোতকৈ বেছি প্ৰয়োজনীয় বুলি ভাবে—তেন্তে তেওঁ এটা ডাঙৰ ভুল কৰিছে; বৰ অসময়ত জন্ম গ্ৰহণ কৰিছে।

গোটেই পৃথিৱী আজি বেদনাত বিহ্বল, যুদ্ধৰ ছাঁই বিপ্লৱৰ সম্ভাৱনাই ইয়াক আৱৰি ৰাখিছে। এই অসংখ্য ভাগ্যৰ হাত সাৰি পলাই সৰাৰ পথ যদি আমাৰ নাথাকে, তাৰ সন্মুখীন হব আমি কেনেকৈ? উট পক্ষীৰ দৰে চালিত মূৰ গুজি গুজি লুকাই থাকিম নে? নে বীৰৰ দৰে আগুৱাই আহি অংশ গ্ৰহণ কৰিম পৃথিৱীক গঢ়ি তোলাৰ কামত প্ৰয়োজন হলে ক্ষতি আৰু বিপদৰ সম্ভাৱনাকো স্বীকাৰ কৰি লৈ, লাভ কৰিম এটা বিৰাট আৰু মহৎ বৃত্ত সাধনৰ আনন্দ। গৌৰৱ বোধ কৰিম—ইয়াক লৈয়ে যে "আমাৰ পদচিহ্নই যুৱতীৰ বাণীত সাঁচ বহুৱাই গৈছে।"

ভৱিষ্যতে তাৰ লুকাই থোৱা পাতবোৰ এখন এখন কৈ মেলি দিছে—যি পৰিণত হৈছে বৰ্ত্তমানত। আমি সকলোৱে অন্ততঃ অতি চিন্তাশীল যিসকল তেওঁলোকে আশাৰে সেইকালে চাই আছে। কি আহিব ধৰিছে তাৰ প্ৰতীক্ষা কৰিছে কোনোৱে আশাৰে, কোনোৱে ভয়েৰে। ভৱিষ্যতৰ সেই জগত,—ই জানো ইয়াতকৈ বেছি ন্যায়ৰ জগত হব? সুখৰ স্থান হব? অথবা ই আজিতকৈও নিৰ্দ্দয় আৰু কঠোৰ হব? সঁচাকৈয়ে ইয়েই ইয়াৰ দুটি শেষ সম্ভাৱনা, ইয়াৰ যেই সেই এটাৰেই আবি-র্ভাব আমি দেখিব পাবো।

অপেক্ষা কৰিছো, প্ৰতীক্ষা কৰিছো, তাৰ লগে লগে যি ধৰণৰ জগত পালে আমি সুখী হব তাৰ বাবে আমি কাম কৰি গৈছো। মানুহ এদিন পশুৰ দৰে আছিল, তাৰপৰা ই উন্নতিৰ পথত আগুৱাই আহিছে। প্ৰকৃতিৰ ওচৰত অসহায়ৰ দৰে আত্মসমৰ্পণ এই অৱস্থাত উপনীত হোৱা নাই-মানুহৰ সুবিধাৰ কাৰণে প্ৰভুত্ব কৰাৰ আগ্ৰহেৰে আৰু বহুত সময়ত প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰি।

আজিৰ দিনৰ কথা কলো। কাইলৈৰ দিনটো কেনে হব সেইটো তোমালোকৰ হাতত, তোমাৰ আৰু তোমাৰ সমবয়সীয়া সকলৰ হাতত, পৃথিৱীৰ সকলোতে যি লাখ লাখ ল'ৰাছোৱালী আজি ডাঙৰ হৈ উঠিছে, কাইলৈৰ বাবে আয়োজনত অংশ গ্ৰহণ কৰিবলৈ প্ৰস্তুত হৈছে—তেওঁলোকৰ হাতত।

১৯৬

শেষ চিঠি

৯ আগষ্ট, ১৯৩৩

শেষ হল সান্দৰীকণ, আমাৰ এই দীঘলীয়া কাহিনী শেষ হল। আৰু লেখিবৰ মোৰ প্ৰয়োজন নাই। তথাপি শেষত এটি আলঙ্কাৰিক সংযোজনা কৰাৰ আশাৰে আৰু এখন চিঠি তোমালৈ লেখিবলৈ বহিলো—আমাৰ শেষ চিঠি।

আৰু শেষ কৰিবৰ সময়ো হৈছিল। কাৰণ মোৰ দুবছৰৰ বিৰাম প্ৰায় শেষ হৈ আহিল। আজিৰ পৰা ঠিক তেত্ৰিশ দিন পিচত মই মুক্তি পাম, অৱশ্যে যদি তাৰো আগতে নাপাওঁ যেইদৰে সেইখন আগতে এৰি দিব বুলিয়েই মোক কৈছে। সম্পূৰ্ণ দুবছৰ এতিয়াও শেষ হোৱা নাই। কিন্তু মই এই পিছৰবাৰ বিৰামৰ পৰা তিনিমাহৰ মাফ পাইছো। সকলো সদ আচৰণ দেখুওৱা কয়দীয়েই সেইটো পায়। কাৰণ এওঁলোকৰ মতে মযো এজন সদ আচৰণ দেখুওৱা কয়দী। যদিও এই খ্যাতি লাভ কৰিবৰ কাৰণে একো মই কৰা নাই। সি যি নহওক মোৰ এই ষষ্ঠ বাৰৰ কাৰাবাসৰ এইবাৰ শেষ হল। আকৌ মই বাহিৰৰ মুকলি পৃথিৱীৰ বুকুলৈ উভতি যাম,—কিন্তু কি কৰিবলৈ? ইয়াৰ সাৰ্থকতাই বা কি? মোৰ প্ৰায় সকলো বন্ধু বান্ধৱ আৰু সহকৰ্মীসকল জেলত সোমাই আছে আৰু গোটেই দেশখনেই এখন ডাঙৰ কাৰাগাৰ যেন বোধ হৈছে।

কি পৰ্যন্ত প্ৰকাণ্ড চিঠিৰ দম মই লেখিছো বহি বহি। আৰু কিমান যে স্বদেশী চিয়াঁহী ঢালিছো স্বদেশী কাগজৰ ওপৰত। কিন্তু ভাবিছো ইয়াৰ দ্বাৰা জানো কিবা প্ৰকৃত কাম হল? এই ইমানবোৰ কাগজ আৰু চিয়াঁহী—তাৰপৰা জানো তুমি তোমাৰ জ্ঞান লগা কিবা বাস্তৱিক লাভ কৰিবা? তুমি অৱশ্যে 'পাইছো' বুলিয়েই কবা—কাৰণ তুমি ভাবিবা আন উত্তৰ দিলে মই কিবা আঘাত পাম। মোৰ প্ৰতি তোমাৰ আকৰ্ষণ অতি বেছি কাৰণেই হয়তো এনে এটা উত্তৰ দিবলৈ তুমি বাধ্য হবা। কিন্তু চিঠিবোৰ পঢ়ি তুমি আনন্দ পোৱা বা নোপোৱা—এইবোৰ লেখি হলে মই বৰ আনন্দ পাইছো। তাৰ বাবে তুমি নিশ্চয় খং নকৰা। দিনৰ পিচত দিন ধৰি এই দীঘলীয়া দুটা বছৰ তুমি এই চিঠিবোৰ মই লেখি গৈছো। যেতিয়াই ইয়ালৈ আহিছিলো তেতিয়া আছিল জাৰকালি। জাৰকালি গৈ আহিল আমাৰ চমুকীয়া বসন্ত; চাওঁতে চাওঁতেই সেই বসন্ত বিলীন হৈ গ্ৰীষ্মৰ গৰম—তেতিয়া বৰ গৰম। তাৰ পিচত গ্ৰীষ্মৰ তাপত যেতিয়া মাটি ফটাই ফৰফৰীয়া হৈছিল—তৃষ্ণাৰ্ত হৈ উঠিছে,—মানুহ আৰু পশু ক্লান্ত হৈ পৰিছে—ঠিক

তেতিয়াই আহিল মৌচুমী বতাহ—কঢ়িয়াই আনিলে বৰ্ষাৰ নিৰ্মল পানী। তাৰ পিচত আহিল শৰৎ—আকাশ সুন্দৰ নীলা হৈ পৰিল; মনোৰম সন্ধিয়াবোৰ উপচি পৰিল। এনেদৰে বছৰৰ চকৰি ঘূৰি শেষ হল—আকৌ নতুনকৈ আৰম্ভ হল শীত আৰু বসন্ত, গ্ৰীষ্ম আৰু বৰ্ষা। আৰু মই কেৱল ইয়াতে বহি বহি তোমালৈ চিঠি লেখিলো—তোমাৰ কথা ভাবিছিলো, এটাৰ পিচত এটা ঋতু পাৰ হৈ যোৱা দেখিছিলো, মোৰ বেৰেকৰ চালৰ ওপৰত বৰষুণৰ টুপটাপ শব্দ শুনিছিলো :—

হে মধুৰ বৃষ্টিৰ ধাৰা
যবৰ চালত ধৰাৰ বুকুত
বিৰহী প্ৰাণ কৰা স্নিগ্ধ
বৰষাৰ হে করুণ সঙ্গীত।

উনৈশ শতিকাৰ বিখ্যাত ইংৰাজ ৰাষ্ট্ৰনীতিবিদ বেঞ্জামিন ডিচৰেলিয়ে লেখিছিল 'আন মানুহ নিৰ্বাস বা কাৰাদণ্ডত দণ্ডিত হলে তেওঁলোক জীয়াই থাকিলেও জীয়াই থাকে হতাশাত জীয়াতে মৰাৰ দৰে হৈ, আৰু বিদ্বান লোকৰ পক্ষে সেই দিনবোৰেই হয় জীৱনৰ সকলোতকৈ সুখৰ দিন।' তেওঁ কৈছিল হুগো গ্ৰেটিয়াছৰ কথা। এওঁ সোতৰ শতিকাৰ হলেও এজন বিখ্যাত আইনজ্ঞ আৰু দাৰ্শনিক, এওঁৰ প্ৰতি যাৱজ্জীৱন কাৰাদণ্ডৰ আদেশ হয় কিন্তু দুবছৰ পিচত এওঁ জেলৰপৰা পলাই যায়। জেলৰ এই দুটা বছৰ তেওঁ কটাইছিল দৰ্শন আৰু সাহিত্য সম্বন্ধে গ্ৰন্থ ৰচনা কৰি। বিখ্যাত 'জেলৰ চৰাই' সাহিত্যিক পৃথিৱীত বহুতেই জন্মিছে। এওঁলোকৰ ভিতৰত বোধহয় সকলোতকৈ খ্যাতি লাভ কৰিছে স্পেইনৰ লেখক চাৰ্ভাণ্টিচে—যিজনে ডনকুইক্সোট লেখিছিল, আৰু আনজন ইংৰাজ লেখকজন বুনিয়ান 'দি পিলগ্ৰিমছ প্ৰগ্ৰেছ' পুথিৰ ৰচক।

মই পণ্ডিত নহওঁ—জীৱনৰ বহুতো সময় জেলত কটালো। সেই সময়খিনিয়েই মোৰ কাৰণে আটাইতকৈ মধুৰ সময় এই কথা কবলৈ মই প্ৰস্তুত নহয়।

তথাপি এই কথা স্বীকাৰ কৰিবই লাগিব, সেই সময়খিনি কটাবলৈ লিখা-পঢ়াই মোক বৰ সহায় কৰিছে। মই সাহিত্যিক নহও বুৰঞ্জীবিদো নহয় আচলতে তেন্তে মই কি? এই প্ৰশ্নৰ উত্তৰ দিবলৈ মোৰ টান। বহুত কামত মই হাত দিছো। কলেজত ভৰ্তি হৈছিলো বিজ্ঞানৰ ছাত্ৰ হিচাবে। তাৰ পিচত পঢ়িলো আইন আৰু তাৰ পিচৰ জীৱনত আৰু বহুতো আগ্ৰহৰ বিষয়ৰ আলোচনা অনুসৰণৰ পিচত শেষত গ্ৰহণ কৰিছো ভাৰতৰ অতি জনপ্ৰিয় আৰু বাহুল্যভাৱে প্ৰচলিত বৃত্তি-জেললৈ যোৱা।

এই চিঠিবোৰত মই যি লেখিছো তাকেই কোনো বিষয়ক শেষ আৰু নিৰ্ভুল তত্ত্ব বুলি নধৰিবা। ৰাজনীতিবিদসকলৰ স্বভাৱ হ'ল সকলো বিষয়তে তেওঁলোকে কিবা অলপ কবলৈ বিচাৰে। সকলো বিষয়তে এনেভাৱ দেখুৱাই-যেন আচলতে যিখিনি তেওঁলোকে জানে তাতকৈ বহুত বেছি জানে। এতেকে তেওঁলোকৰ কথা সতৰ্ক হৈ শুনিব লাগে। মোৰ এই চিঠিবোৰ যিহি সূতাৰে গাঁথি থোৱা কিছুমান বাহ্যিক ছবিৰ টুকুৰা। ইয়াত মই এটি সাধৰণ বৰ্ণনাহে দিছো। এইয়া ইতিহাস নহয়। নিজৰ ইচ্ছা অনুযায়ী ইতিহাসৰ ৰাজ্যত মই ঘূৰি ফুৰিছো বহু শতিকাৰ, বহুতো ডাঙৰ ডাঙৰ ঘটনা হেলাৰঙে পাৰ হৈ গৈছো আকৌ

হয়তো মোৰ সিটো ভাল লাগিছে এনে একোটা সৰু ঘটনাকো লৈ দীঘলীয়া দিন ধৰি আলোচনা কৰিছো। তুমি ধৰিব পাৰিবা মোৰ কোনটো ভাল লগা বা ভাল নলগা কথা এই চিঠিবোৰ পঢ়িয়েই। মই যি লেখিছো সেই সকলোকে তুমি অতি খাটাং কথা বুলি ধৰাটোকো মই নিবিচাৰো। হয়তো এই বৰ্ণনাত বহুত ভুল চুক লাগি গৈছে। যেনেকৈ লাইব্ৰেৰী নাই—ওচৰত এনে আৱশ্যকীয় কিতাপো নাই যে অলপ পঢ়ি শুনি চাই লব পাৰো। ইতিহাস লেখাৰ ঠাই ই একেবাৰে নহয়। এই কাহিনী লিখোঁতে মই বেছি নিৰ্ভৰ কৰিবলগীয়া হৈছে মোৰ টোকাবহীবোৰৰ ওপৰত। যাৰ বছৰ আগৰ পৰা মই জেললৈ আহিবলৈ লোৱাৰ পৰাই এইবোৰ মোৰ টোকাবহীত টুকি ৰাখিছিলো। বহুত কিতাপো অৱশ্যে আহিছে আৰু উভোটাই দিছো—কাৰণ ইয়াত পুথিভঁৰাল ৰখাৰ কথা মোৰ পক্ষে সম্ভৱ নাছিল। কোনো লাজ নকৰাকৈ এইবোৰ পুথিৰ পৰা তথ্য আৰু তথ্য সংগ্ৰহ কৰিছো-যিবোৰ লেখিছো তাত মোৰ মৌলিক বা নিজৰ একো-ৱেই নাই। একো একো ঠাইত মোৰ নিজৰ চিঠিৰ অৰ্থ বুজা হয়তো তোমাৰ কাৰণে টান হব—সেইবোৰ এৰি যাবা। সেইবোৰ লৈ মন বেয়া নকৰিবা। চিঠি লিখোঁতে লিখোঁতে মোৰ ভিতৰৰ পুৰঠ মানুহটোৱে বহুত ঠাইত আত্মপ্ৰকাশ কৰিছে যি কথা মোৰ লিখা উচিত নাছিল সেই কথাও হয়তো লেখি পেলাইছো। মই তোমাক মাত্ৰ আভাস এটা দিছো। ই ইতিহাস নহয়—ই কেৱল আমাৰ অতীত কাহিনীৰ এটি অসংলগ্ন আভাস। ইতিহাস পঢ়িবলৈ যদি তোমাৰ ভাল লাগে, ইয়াৰ কাহি-নীৰ ভিতৰত যি মোহনীয় ৰস আছে সেইবোৰে যদি তোমাক আকৰ্ষণ কৰে, তেন্তে তুমি নিজে এই বিষয়ৰ বহুতো পুথি বিচাৰি লব পাৰিবা। কিন্তু কেৱল কিতাপ পঢ়িলেই নহয়। অতীতক যদি সঁচাকৈয়ে জানিবলৈ বিচৰা, তাৰ কালে সহানুভূতিৰে চাব লাগিব—তাক বুজিবলৈ ইচ্ছা থাকিব লাগিব। যিসকল লোক বহুদিনৰ আগতে বাস কৰিছিল সেই সকলৰ কথা যদি ঠিকমতে জানিবলৈ বিচৰা, তেন্তে আগতে জানি লব লাগিব সমাজৰ যি পৰিবেশ ইয়াৰ আছিল আৰু কি বা বতাহৰ মাজত এওঁলোক জীৱন নিৰ্বাহ কৰিছিল, এই সকলো-বোৰ চিন্তা কৰি চাব লাগিব। আজিৰ দিনত এনে কোনো মানুহ নাই যি দাসত্ব প্ৰথা সমৰ্থন কৰিব। অথচ প্লেটোৰ নিচিনা ডাঙৰ মানুহ এজনেও কৈছিল সমাজ জীৱনৰ কাৰণে দাসত্ব প্ৰথা অপৰিহাৰ্য। অলপ দিন আগতে যুক্তৰাষ্ট্ৰত দাসত্ব প্ৰথাক জীয়াই ৰাখিবৰ কাৰণে হাজাৰ হাজাৰ মানুহে মৃত্যু বৰণ কৰিছে। বৰ্ত-মানৰ মাপ কাঠিৰে অতীতক বিচাৰ কৰিবলৈ যোৱাটো ভুল কথা, কিন্তু সেইকথা সকলোৱে স্বীকাৰ কৰিব নোখোজে। পৃথিৱীৰ প্ৰত্যেক ধৰ্মই পুৰণি যুগৰ বহুত মতামত বিশ্বাস আৰু ৰাজনীতিক জীয়াই ৰাখিছে, যি সময়ত আৰু যি দেশত ইয়াৰ জন্ম, তাত হয়তো সেইবোৰ কামত লাগিছিল, কিন্তু আমাৰ এই বৰ্ত-মান যুগৰ পক্ষে সেইবোৰ একেবাৰেই অচল।

সেইদেখি যদি অতীতৰ যুগটোৰ কালে সহানুভূতিৰে চাব পাৰা—তেন্তে দেখিবা তাৰ শুকান কঙ্কালত তেজৰ সোঁত আৰু মাংস ভৰি পৰিছে। দেখিবা প্ৰত্যেক যুগৰ প্ৰত্যেক দেশৰ অগণিত জীৱিত নৰ-নাৰী আৰু কণ কণ শিশুৰ শোভাযাত্ৰা আমাৰ দৰে তেওঁলোক নহয়—তথাপি বহুখিনি আমাৰেই নিচিনা। ইতিহাস

ইন্দ্ৰজাল নহয়—কিন্তু বিসকলে চাব জানে তেওঁলোকে ইয়াৰ মাজত ইন্দ্ৰজালৰ খেলাও দেখিবলৈ পায়।

ইতিহাসৰ ছবিৰ প্ৰদৰ্শনীয়ে মোৰ মনত অসংখ্য ছবিৰ উজান উঠাইছে। মিচৰ, বেবিলন, নিনেভ পুৰণি ভাৰতৰ বহুতো সভ্যতা আৰ্যসকলৰ ভাৰত আগমন; আৰু য়ুৰোপ আৰু এচিয়াত তেওঁলোকৰ অধিকাৰ প্ৰতিষ্ঠা, চীন দেশৰ সভ্যতাৰ অপূৰ্ব কাহিনী, নোজছ্ আৰু গ্ৰীচ-ৰোম সাম্ৰাজ্য আৰু বাইজানটিনা, দুখন মহাদেশৰ বুকুয়েদি আৰবসকলৰ জয়যাত্ৰা—ভাৰতীয় সংস্কৃতিৰ পূৰ্ণ জীৱন, আৰু মৃত্যু আমেৰিকাৰ মায়া,— আৰু আজটেক সভ্যতা মঙ্গোলসকলৰ বিৰাট বিজয়, য়ুৰোপৰ মধ্য যুগৰ স্থাপত্য, গথিক শিল্পৰ দ্বাৰা নিৰ্মিত গীৰ্জাবোৰ ভাৰতবৰ্ষত ইছলামৰ আবিৰ্ভাৱ, মোগল সাম্ৰাজ্য, পশ্চিম য়ুৰোপত বিদ্যা আৰু কলাৰ পূৰ্ণজীৱন আমেৰিকা আৱিষ্কাৰ, প্ৰাচ্য জগতলৈ অহাৰ সমুদ্ৰ পথ, আৱিষ্কাৰ, প্ৰাচ্য দেশৰ পাশ্চাত্য জাতিসমূহৰ আক্ৰমণ আৰম্ভ, ডাঙৰ ডাঙৰ কল-কাৰখানাৰ আবিৰ্ভাৱ, পুঁজিবাদৰ প্ৰতিষ্ঠা, শিল্প-তন্ত্ৰ য়ুৰোপীয় জাতিসমূহৰ প্ৰভুত্ব আৰু সাম্ৰাজ্যবাদৰ বিস্তাৰ আধুনিক যুগৰ বিজ্ঞানৰ বহুতো বিস্ময়কৰ আৱিষ্কাৰ।

ডাঙৰ ডাঙৰ সাম্ৰাজ্য গঢ়ি উঠিছে, আকৌ ভাগি পৰিছে, হাজাৰ হাজাৰ বছৰ ধৰি মানুহে তাৰ কথা পাহৰি গৈছে, তাৰ ধ্বংশাৱশেষখিনিও বালিৰ তলত পোত খাই গৈছে। তাৰ পিচত আকৌ এদিন তথ্যান্বেষী মানুহে অসীম ধৈৰ্যেৰে, বালিৰ স্তূপ খান্দি তাৰ সেই ধ্বংশাৱশেষ বাহিৰ কৰি আনিছে। অথচ মানুহৰ বহুতো চিন্তাধাৰা বহুতো কল্পনা, সেই সৰ্বধ্বংশী কালকো তুচ্ছ কৰি জীয়াই আছে, সেই বিশাল সাম্ৰাজ্যতকৈও তেওঁলোকৰেই শক্তি ডাঙৰ—আৰু জীৱনকাল দীঘলীয়া বুলি প্ৰমাণ হৈছে। যেনে কবিয়ে কৈছে—

> ধাৰাশায়ী মিচৰৰ গৌৰৱ প্ৰতিমা
> মিলি গ'ল বিস্মৃতি বুকুত
> ট্ৰয় গ'ল, শেষ হ'ল গ্ৰীচৰ গৰিমা
> ৰোমৰ শিৰত নাই সেই কীৰ্তি মহিমাৰ
> ভেনিচৰ দৰ্প শেষ হ'ল।
> সেইদেশৰ মানুহে—তেওঁলোকৰ দুনয়ন
> ভৰি আছিল বিচিত্ৰ স্বপ্নেৰে,
> কল্পৰেখীয়া সম্ভোগ বিলাস,
> অপাৰ্থিব, অৰ্থহীন, অলিক কল্পনা
> অশৰীৰী ছায়া মাথো বায়ৱী জল্পনা
> সেই স্বপ্ন আজিও জীয়াই আছে।"

অতীতৰ পৰা বহু দানকেই আমি পাইছো। প্ৰকৃততে আজিৰ সংস্কৃতি, সভ্যতা, বা সভ্য সম্বন্ধে জ্ঞান বুলিবলৈ যি আমাৰ আছে, এই সকলোটিয়েই হৈছে সুদূৰ অতীতৰ পৰা পোৱা। অতীতৰ ওচৰত সেই ঋণ স্বীকাৰ নকৰিলে আমাৰ অন্যায় হ'ব। কিন্তু আমাৰ ঋণ বা কৰ্তব্য কেৱল অতীতৰ প্ৰতিয়েই নহয়। ভৱিষ্যতৰ প্ৰতিও আমাৰ কৰ্তব্য আছে। অতীতৰ ওচৰত আমাৰ যি ঋণ তাতকৈও হয়তো এই কৰ্তব্য ই আমাৰ বেছি ডাঙৰ। কাৰণ অতীত অতীতেই আৰ দিন

শেষ হৈ গৈছে, তাৰ পৰিৱৰ্তন আমি আৰু ঘটাব নোৱাৰোঁ। ভৱিষ্যত এতিয়াও অহা নাই—হয়তো তাক কিছু পৰিমাণে গঢ় দিব পাৰো। অতীতৰ ইতিহাসে কিছু সত্যৰ সন্ধান আমাক দি গৈছে—সেই সত্যৰ বহুখিনি আকৌ লুকাই আছে অতি বাস্তৱ গৰ্ভত। তাক বিচাৰি উলিওৱা দায়িত্ব আমাৰেই। কিন্তু অতীত কেতিয়াবা ভৱিষ্যতৰ ওপৰত ঈৰ্ষাত অন্ধ হৈ পৰে—টান মুঠিৰে আনক আঁকুৰি ধৰি থাকে। কেতিয়া তাৰ লগত যুঁজ কৰি আমি মুক্তি লাভ কৰিব লগাত পৰোঁ যেন ভৱিষ্যতৰ কালে চাব পাৰোঁ আৰু কালে আগুৱাই যাব পাৰোঁ। মানুহে কৰা ইতিহাসৰ পৰা আমাৰ বহুতো শিকিবলগীয়া আছে। আৰু এটা কথা আছে, ঘূৰণীয়ে কেতিয়াও নিজৰ পুনৰাবৃত্তি নকৰে। দুয়োটা কথাই সত্য। কেৱল অন্ধৰ দৰে তাক নকল কৰিবলৈ চেষ্টা কৰিলেই তাৰ পৰা একো শিকিব নোৱাৰি। তাৰ পৰা শিক্ষালাভ কৰাৰ উপায় হৈছে তাৰ পিচত কি বিচাৰি চোৱা—যিবিলাক শক্তিৰ বলত ই ঘটে বুলিছে সেই শক্তিসমূহক বিচাৰি উলিয়াবলৈ চেষ্টা কৰা। কিন্তু তাৰ পিচতো যি উত্তৰ আমি পাওঁ সেইটো ঠিক তাৰ সৰল উত্তৰ নহয়। কাৰ্লমাৰ্ক্সে কৈছে "পুৰণি প্ৰশ্নৰ উত্তৰ দিয়াৰ একেটি মাত্ৰ নীতি ইতিহাসৰ আছে সেইটো হৈছে নতুনকৈ কিছুমান প্ৰশ্ন কৰা।

পুৰণি যুগটো আছিল বিশ্বাসৰ যুগ কোনো প্ৰশ্ন নকৰাকৈ অন্ধভাৱে বিশ্বাস কৰাৰ যুগ। পুৰণি কালৰ বিলাক অপূৰ্ব মন্দিৰ, মচজিদ, আৰু গীৰ্জা আমি দেখিছোঁ; শিল্পীসকলৰ, কাৰিকৰসকলৰ আৰু জনসাধাৰণৰ মন এই বিশ্বাসত অভিভূত হৈছিল বুলিয়েই সেইবোৰ গঢ়িব পাৰিছে। নহলে নোৱাৰিলেহেঁতেন। অসীম শ্ৰদ্ধাৰে আৰু নিষ্ঠাৰে তেওঁলোকে এটিৰ ওপৰত এটিকৈ শিল সজাইছে; শিল কাটি সুন্দৰ নক্সা উলিয়াইছে, সেই শিল আৰু ভাস্কৰ্যৰ কালে চালেই আমি সেই নিষ্ঠাৰ কথাতো ভালদৰে দেখিবলৈ পাওঁ। পুৰণি কালত মন্দিৰৰ চূড়া মচজিদৰ গম্বুজ-গীৰ্জাঘৰৰ অতি ওখ চূড়া সকলোবেই গোনে গোনে আকাশক বিয়াই উঠি গৈছে, উঠিছে গভীৰ শ্ৰদ্ধাৰ অঞ্জলিৰে। আগৰ দিনত মানুহৰ যি অপৰিসীম ভক্তি সেই ভাস্কৰ্যৰ মাজত ৰূপ পাইছিল, সেই ভক্তি হয়তো আমাৰ এতিয়া নাই। তথাপি এই বোৰলৈ চাই আমি ৰোমাঞ্চিত হৈ পৰোঁ। কিন্তু সেই দিনৰ ভক্তি বিশ্বাসৰ দিন পাৰ হৈ গৈছে। লগে লগে সেই শিলৰ ওপৰত কৰা খনিকৰী বিদ্যাও নাইকীয়া হৈছে।

আমাৰ এই যুগটোৱেই বেলেগ ধৰণৰ। এইটো হৈছে মোহ ভঙ্গৰ যুগ। সন্দেহ, সংশয়, আৰু প্ৰশ্ন সোধাৰ যুগ। পুৰণি কালৰ বিলাক মতামত আৰু ৰীতি নীতি আছিল সেইবোৰৰ বহুতকে আমি আজি মানি লবলৈ টান পাইছোঁ। সেই-বোৰৰ ওপৰত আৰু আমাৰ বিশ্বাস নাই, এচিয়া, ইউৰোপ, আমেৰিকা সকলোতে। এতেকে আজি আমি নতুন পথ বিচাৰি ফুৰিছোঁ, সত্যৰ নতুন ৰূপৰ। পৰস্পৰৰ ভিতৰতে আমি প্ৰশ্ন কৰিছোঁ,—তৰ্ক কৰিছোঁ, হয়তো 'বাদ' আৰু দৰ্শন সৃষ্টি কৰাইছোঁ। ছক্ৰেটিছৰ যুগৰ দৰে আমিও বসতি কৰিছোঁ এটি প্ৰশ্নৰ যুগত। তাৰ ক্ষেত্ৰ কেৱল এথেন্সৰ দৰে সৰু এখন নগৰত নহয় তাৰ পৰিসীমা আজি গোটেই বিশ্ব জুৰি।

একো সময়ত পৃথিৱীৰ অন্যায়, অশান্তি, নৃশংসতা দেখি আমি বিষণ্ন হৈ পৰোঁ। সংশয়ৰ ছাঁবে অন্ধকাৰ হৈ পৰে আমাৰ মন—এই পৃথিৱীত আশা বুলি আৰু একোৱেই নাথাকে। এটা মাথোন কাম আমি কৰিব পাৰোঁ—পৰম্পৰৰ ভিতৰত সত্য পালন কৰি চলা। যেথিউ আৰ্ণল্ডৰ দৰে আমাৰো মনত হয় এই পৃথিৱীত আমাৰ একোৱেই নাই।

'এই যনেই পৃথিৱী, ইয়াক জানো
নিত্যৌ নতুন ৰূপে—বিচিত্ৰতা সৌন্দৰ্যৰ বাণী।
মিছা ৰূপ—নাই প্ৰীতি, নাই প্ৰেম
পোহৰৰ কণা
নাই শান্তি, শোকৰ সান্ত্বনা
আমি আছোঁ—থিয় হৈ অকলশৰীয়া ৰূপে—নিৰ্জন প্ৰান্তৰত
য'ত লাহে লাহে অন্ধকাৰে আহিছে চতুৰ্দিশ আৱৰি পৃথিৱী;
সেই ৰাতিৰ অন্ধকাৰত দৃষ্টিহীন সৈনিকৰ দলে যেন কৰে উন্মত্ত আহ্বান,
হানে অস্ত্ৰৰ আঘাতেৰে
শত্ৰু মিত্ৰ নাই পৰিচয়—তথাপি চলি থাকে হিংসাৰ সমৰ
বিজয়ীৰ আস্ফালন৷ বিজিতৰ পলায়ন
লগ হৈ একেলগে ধৰণীত তোলে কোলাহল
দিগভ্ৰান্ত বাটকৰা আমি—বিচাৰিছোঁ পথ ভয়ত ত্ৰাসত-বিহ্বলতাহে।

অথচ ইমান দুখেৰে ভৰা বুলিয়েই যদি ইয়াক আমি ভাবো, তেন্তে বুজিব লাগিব, জীৱন বা বুৰঞ্জীয়ে যি শিক্ষা দিলে তাক আমি ভালদৰে শিকিব নোৱাৰিলো। বুৰঞ্জীয়ে আমাক শিকাইছে প্ৰগতিৰ কাহিনী, মানুহৰ অন্তৰত যি সম্ভাৱনা আছে তাৰেই কথা। জীৱনৰ সম্পদ বহুতো আৰু বিচিত্ৰ, জলাশয়, বিল, খাল, পিতনি হয়তো বহুতো আছে কিন্তু তেনেকৈ মহাসমুদ্ৰও আছে, আছে পাহাৰ পৰ্বত, মৰুৰ দেশ, আৰু অৱাবছা, বাতি (বিশেষকৈ জেলত)। আছে পৰিয়াল আত্মীয় কুটুম আছে সেই সহকৰ্মীসকল, যি সকলৰ লগত এক উদ্দেশ্য লৈ কাম কৰিছো আছে সংগতি, আছে, কিতাপ আছে চিন্তাৰ মহাসমুদ্ৰ। সেয়ে আমাৰ প্ৰত্যেক জন লোকেই মন খুলি কব পাৰে:

'হে ভগৱান! পৃথিৱীত আমি বাস কৰিছিলো, আমি পৃথিৱীৰ সন্তান; কিন্তু আমাক পিতৃৰ চেনেহৰে পালন কৰিছে তৰাৰে ঘনকৰা আকাশে।'

বিশ্ব জগতৰ সুন্দৰ সুন্দৰ বস্তুবোৰ দেখি মুগ্ধ হোৱা, আৰু চিন্তা আৰু কল্পনা ৰাজ্যত বাসকৰা অতি সহজ কাম। কিন্তু কেৱল তাকে লৈ যদি আমি মুখ পাহৰি থাকিবলৈ বিচাৰো, আনৰ কি হ'ল কি নহ'ল সেইকালে উভতি চাবলৈ নিবিচাৰোঁ, সেইটো সাহস বা স্বজাতি প্ৰীতিৰ পৰিচায়ক নহয়। চিন্তাৰ সাৰ্থকতা কেৱল তাতেই, য'ত ই কৰ্ম প্ৰবৃত্তি জগায়। আমাৰ বন্ধু বোমাৰোলাই কয়-চিন্তাৰ উদ্দেশ্য হৈছে কাম। যি চিন্তাই কোনো কামৰ ফালে প্ৰেৰণা নিদিয়ে -সেইটো হৈছে অকাল-কুষ্মাণ্ড আৰু বিশ্বাসঘাতক। এতেকে চিন্তাৰ সেৱক যদি আমি হওঁ—তেন্তে কৰ্মৰ সেৱক আমি হবই লাগিব।'

কামবণৰা মানুহে বহুতো সময়ত কামবিলাক কাটি যাবলৈ বিচাৰে, কাৰণ সেই কৰ্মৰ ফলাফল সম্বন্ধে তেওঁলোকৰ ভয় আছে। কৰ্ম মানেই বিপদ, কামত সদায় বিঘিনিৰ সম্ভাৱনা আছে। কিন্তু ভয়ক দূৰৰ পৰাই ভয়ঙ্কৰ বুলি ভবা হয়—যদি ওচৰলৈ গৈ চোৱা, তেন্তে সি ইমান ভয়ঙ্কৰ নহয়। বহুত সময়ত ই যুগৰ সঙ্গী হয়—জীৱনৰ উৎসাহ আনন্দই বঢ়াই তোলে। আমাৰ এই সাধাৰণ জীৱন যাত্ৰাটো একো একো সময়ত বৰ আমনি লগা হয় বহুতো কথা আমি কেৱল গতানুগতিক বুলি মানি চলোঁ, তাৰ ভিতৰত কোনো আনন্দ বিচাৰি নেপাওঁ। অথচ জীৱনৰ সেই সৰু সৰু কথাবোৰৰ পৰাই যদি কিছুদিনৰ কাৰণে বঞ্চিত হওঁ, তেন্তে সেইবোৰৰ মাধুৰ্য আমাৰ ওচৰত বৰ বেছি হৈ পৰে। বহুত মানুহে বৰ ওখ পৰ্বতত আৰোহণ কৰে—কেৱল পাহাৰ বগোৱাৰ আনন্দতেই। একোটা বিঘিনি বা একোটা বিপদক অতিক্ৰম কৰাৰ ফলত যি আত্মপ্ৰসাদ লাভ কৰে, তাৰ, তেনেই লোভত নিজৰ দেহ আৰু প্ৰাণ বিপন্ন কৰে, যি বিপদে তেওঁলোকক তাত সকলো সময়তে আগুৰি আছে তাৰেই ভাবনাত তেওঁলোকৰ সকলো ইন্দ্ৰিয়ৰ অনুভূতি প্ৰখৰ হৈ উঠে। এডাল অতি সৰু সূতাৰ ওপৰত জীৱনটো ওলমি আছে বুলিয়েই জীৱনৰ আনন্দ তেওঁলোকৰ ওচৰত বৰ গভীৰ হৈ পৰে।

দুটা পথ আমাৰ সকলোৰে সন্মুখত পৰি আছে, যিটো ইচ্ছা আমি বাছি ল'ব পাৰোঁ। বসতি কৰিব পাৰোঁ তলৰ উপত্যকাত, তাত অস্বাস্থ্যকৰ ধোঁৱা, ধূলি আৰু কুঁৱলীয়ে আছে, কিন্তু হাত-ভৰি তাত সম্পূৰ্ণ ভালে থকাৰ ভৰসা আছে, নাইবা বৰ ওখ পৰ্বতৰ চূড়াত উঠিব পাৰো, সেই যাত্ৰাত বিপদ বিঘিনি হ'ব আমাৰ চিৰসঙ্গী, যাত্ৰাৰ শেষত পাহাৰৰ ওপৰৰ নিৰ্মল বায়ুত নিশ্বাস পেলাই জীয়াই থাকিব পাৰিব। দূৰণিৰ দৃশ্য দেখি আনন্দিত হব, পুৱাৰ প্ৰথম সূৰ্যোদয়ক প্ৰণিপাত কৰি স্বাগত সম্ভাষণ জনাব।

এইখন চিঠিত বহুতো কবি আৰু লেখকৰ উক্তি মই উল্লেখ কৰিছো আৰু এটি কবিতা উদ্ধৃত কৰি মই এই চিঠিখন শেষ কৰিম। এইটো এটা কবিতা বা প্ৰাৰ্থনা, ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৰচিত—

"চিত্ত য'ত ভয়শূণ্য উচ্চ যত শিৰ,
জ্ঞান য'ত মুক্ত য'ত ঘৰৰ প্ৰাচীৰ,
নিজৰ প্ৰাঙ্গণত দিবস সৰ্বৰী
পৃথিৱীক নাৰাখে খণ্ড ক্ষুদ্ৰ কৰি,
য'ত বাক্য হৃদয় নিঃসৃত হয়—
উচ্ছ্বাস উঠলি উঠে,
দেশে-দেশে- দিশে দিশে কৰ্মসোঁত বয়—
অজস্ৰ সহস্ৰ বিধি চৰিতাৰ্থ হয়,
য'ত আচাৰৰ মৰু বালি ৰাশি
বিচাৰৰ চিন্তাসোঁত খোৱা নাই গ্ৰাসি
পৌৰুষক কৰা নাই শতধা, নিত্য য'ত

তুমি সৰ্ব কৰ্ম চিন্তা-আনন্দৰ নেতা
নিজ হাতে নিৰ্দয় আঘাত কৰি, হে পিতা,
ভাৰতৰ সেই স্বৰ্গক কৰা জাগৰিত।"

শেষ কৰিলোঁ।—এই মধুৰ কবিতাটোৰে মোৰ এই শেষ চিঠিখনো শেষ কৰিলোঁ। মোৰ চিঠিখন? নিশ্চয় নহয়। আৰু বহুত চিঠিকেই মই তোমালৈ লেখিম। কিন্তু এই চিঠিৰ ইয়াতে শেষ হ'ল। এতেকে তামাম শেষ।

পুনৰালোচনা

আৰৱ সাগৰ
১৪ নৱেম্বৰ ১৯৩৮

আজিৰপৰা ঠিক প্ৰায় পাঁচ বছৰ আগতে দেৰাদুনৰ সদৰ জেলৰ ভিতৰত বহি এই চিঠিবোৰৰ শেষ চিঠিখন মই লেখিছিলো। দুবছৰৰ কাৰাদণ্ডৰ মিয়াদ তেতিয়া প্ৰায় শেষ হৈ আহিছিল। সেই দীঘলীয়া কাল নিসঙ্গ ঘৰত (তুমি অৱশ্যে সকলো সময়তেই মোৰ মনৰ সঙ্গীয়া হৈ আছিলা) বহি যিমানবোৰ চিঠি তোমালৈ লেখিছিলো তাৰ বোজা সামৰি, মুক্তি পাই আকৌ বাহিৰৰ জগতত সুমিবলৈ, গতিশীল আৰু কৰ্মময় জীৱনৰ সোঁতত আকৌ জাপ দিবলৈ নিজকে প্ৰস্তুত কৰি লৈছিলোঁ। মুক্তিও অৱশ্যে পালোঁ। অলপ দিনৰ পিছতে। কিন্তু পাঁচ মাহৰ পিছত আকৌ জেলখানাৰ সেই পৰিচিত কোঠালিত গৈ উপস্থিত হলো। আকৌ মোৰ দুবছৰৰ দণ্ড হৈছে। তেতিয়া আকৌ লেখনী হাতত ললো। আকৌ এটি কাহিনী লেখিলো। এইবোৰৰ কাহিনী বৰ ব্যক্তিগত ধৰণৰ।

তাৰ পিছত আকৌ বাহিৰ ওলাই আহিলো। তোমাৰ আৰু মোৰ জীৱনত এটি নিদাৰুণ শোকৰ ঘটনা ঘটিল—সেই শোকৰ ছায়াই আজি তোমাৰ জীৱনক আচ্ছন্ন কৰি আছে। কিন্তু সংগ্ৰাম আৰু বেদনাৰে ভৰা এই পৃথিৱী; নিতৌ নতুন আঘাত আৰু সংঘাতত সকলো সময়তে মানুহে নিজৰ জীৱন মুক্তিত এইবোৰৰ লগত তাল মিলাই চলোঁতেই দেহ আৰু মনৰ সকলোখিনি শক্তিৰ আৱশ্যক হয়। ব্যক্তিগত দুখ-দুৰ্ভাগ্য ইয়াত একো ডাঙৰ কথা নহয়। এতেকে আকৌ আমি দুয়ো দুয়োৰে পৰা আতৰি আহিবলগীয়া হ'ল। তেতিয়া আকৌ কাম হাতত তুলি ললোঁ। তুমি গলাগৈ অধ্যয়নৰ পথেদি আৰু মই জপিয়াই পৰিলোঁ। জীৱন সংগ্ৰামৰ সেই কোলাহল আৰু উন্মত্ত আৱৰ্তনৰ মাজত।

যুদ্ধ আৰু দুখ বেদনাৰ বোজা লৈ আৰু পাঁচ বছৰ পাৰ হৈ গৈছে, যি জগতত আমি বসতি কৰিছো, আৰু যি জগৎ আমি গঢ়ি তুলিম বুলি সপোন দেখিছো, দুয়োৰে ভিতৰত পাৰ্থক্যটো দিনে দিনে বাঢ়ি গৈছে। আশা দিনে দিনে ক্ষীণ হৈ অহা যেন অনুভৱ হৈছে। কিন্তু তথাপি বহি বহি মই তোমালৈ চিঠি লেখিছো। মোৰ সম্মুখত বিস্তৃত হৈ আছে আৰৱ সাগৰ—বিৰাট তাৰ শক্তি, অসীম তাৰ সৌন্দৰ্য, সপোনৰ দৰে যি নিস্তব্ধ, সপোন পুৰীৰ দৰে স্নিগ্ধ চন্দ্ৰালোকত তাৰ সৰ্বাঙ্গ উদ্ভাসিত।

আজিৰ এই পুনৰ উত্থাপিত চিঠিত এই পাঁচোতা বছৰৰ কথা তোমাক কব লাগিব। চিঠিবোৰ নতুন আকাৰত আকৌ ছপাই উলিওৱা হৈছে। প্ৰকাশকৰ ইচ্ছা—এইবোৰক বৰ্ত্তমান দিনলৈকে যাতে লেখা হয়। বৰ ডাঙৰ কাম। এই পাঁচ বছৰত পৃথিৱীত ইমানবোৰ ঘটনা ঘটিছে যে সেইবোৰ কথা যদি লেখিবলৈ বহোঁ, আৰু বহি বহি লেখিবৰ যদি সময় পাওঁ, তেন্তে কিমান খিনি লেখিব পাৰি তাৰ সীমা নাই,—হয়তো আৰু এখন পুথি হৈ পৰিব। সৰু সৰু কথাবোৰ এৰিও বৰ ডাঙৰ ডাঙৰ ঘটনা যিবোৰ ঘটিছে, কেৱল তাৰেই যদি এখন তালিকা দিওঁ, দেখিবা কি প্ৰকাণ্ড আৰু দুৰ্বোধ্য বিষয় হৈ পৰিব। সেই চেষ্টা এতেকে নকৰোঁ, পৃথিৱীত যিবোৰ ঘটনা ঘটিছে, বা ঘটিব ধৰিছে সেইবোৰৰ অতি সংক্ষিপ্ত আভাস মই এই চিঠিত তোমাক দিম। আগৰ চিঠিবোৰতো অলপ অলপ টীকা দিছিলোঁ, তাত নতুন তথ্য বহুতো দিয়া হৈছে। এইবাৰ এই কেইবছৰৰ সংক্ষিপ্ত বিৱৰণ তোমাক শুনাম।

শেষৰকালে কেইখনমান চিঠিত মই তোমাক শুনাইছিলো, বৰ্ত্তমান জগতত কি বিৰাট অশান্তি আৰু অবিয়া-অৰি সকলোতে দেখা দিছে; ফেচিবাদ আৰু নাজীবাদে কিদৰে মূৰ তুলি উঠিছে। কিদৰে পৃথিৱীত যুদ্ধৰ ছায়া ঘণীভূত হৈ আহিছে। আজি পাঁচ বছৰে সেই অবিয়া-অৰি আৰু সংঘাতৰ তীব্ৰতা আৰু বহু-গুণে বাঢ়ি গৈছে। বিশ্বযুদ্ধ এতিয়াও লগা নাই সঁচা, কিন্তু আফ্ৰিকাত, ইউৰোপত, এচিয়াৰ সুদূৰ প্ৰাচ্য অঞ্চলত বৰ ডাঙৰ ডাঙৰ আৰু সাংঘাতিক ধৰণৰ যুদ্ধ বহুতো হৈ গৈছে। প্ৰতি বছৰে আনকি প্ৰত্যেক মাহতে, নতুন নতুন যুদ্ধ, আক্ৰমণ আৰু বীভৎস নৃশংসতাৰ কাহিনী কাণত পৰিছেহি। পৃথিৱীৰ জীৱন শৃঙ্খলা ক্ৰমে ভাগি পৰিছে। আন্তৰ্জাতিক মিত্ৰতাৰ ক্ষেত্ৰত চৰম উচ্ছৃঙ্খলা চলিছে। জাতিসংঘ বা আন্তৰ্জাতিক জীৱনত সহযোগিতা প্ৰতিষ্ঠাৰ কাৰণে আন যিবোৰ আয়োজন কৰা হৈছিল, তাৰ সকলো একেবাৰে ব্যৰ্থ হৈ গৈছে। নিৰস্ত্ৰীকৰণ কথাটোৱেই এটা পাহৰণিতহেৰাই যোৱা বিষয় হৈ পৰিছে। প্ৰত্যেক দেশতে অস্ত্ৰ-সজ্জাৰ বাঢ়িব ধৰিছে। গোটেই জগত জুৰি এতিয়া বিভীষিকাৰ ৰাজত্ব। নাজী আৰু ফেচিষ্টসকলৰ জয়যাত্ৰা দেখি য়ুৰোপ বিভ্ৰান্ত হৈছে।

১৯১৪-১৮ চনত যি মহাযুদ্ধ হ'ল, তাৰ মূলতে কি আছিল তাৰ বিশদ আলোচনা মই আগৰ চিঠিবোৰত কৰিছোঁ। যুদ্ধ হ'ল। সেই যুদ্ধৰ ফল হ'ল ভাৰ্চাইল সন্ধি, আৰু হ'ল জাতিসংঘৰ সৃষ্টি। কিন্তু পুৰণি যি সমস্যাবোৰ আছিল তাৰ মীমাংসা ইয়াৰে নহল, বৰং আৰু বহুত নতুন সমস্যাই আহি দেখা দিলে, ক্ষতি-পূৰণ, যুদ্ধ-ঋণ, নিৰস্ত্ৰীকৰণ, আৰ্থিক সঙ্কট, আৰু ডাঙৰ মিজনুৰা সমস্যা। শান্তি স্থাপনৰ সমস্যাটো আছেই। তাৰ পিচতো বহুতো জটিল সমস্যা সাধন নোহোৱাকৈ থাকিল। সেই সমস্যাবোৰে পৃথিৱীৰ অৱস্থা লৰচৰ কৰি পেলালে। চোভিয়েট ইউনিয়নত নতুন সামাজিক শক্তি জয়ী হ'ল; নানান অসুবিধা আৰু পৃথিৱীৰ বিৰুদ্ধাচৰণৰ মাজতো তেওঁলোকে উন্নতিৰ বাবে চেষ্টা কৰিলে এখন নতুন ধৰণৰ পৃথিৱী গঢ়ি তুলিবলৈ। পৃথিৱীৰ আন আন দেশতো সামাজিক জীৱনৰ বহুতো পৰিবৰ্ত্তন ঘটিছে। ধনৰ প্ৰাচুৰ্য্যই জগতত দেখা দিলে। বহু

উৎপাদনৰ বিপুল আয়োজন হ'ল, যুগ যুগ ধৰি মানুহে যি ধনৰ প্ৰাচুৰ্যৰ সপোন দেখি আহিছিল, সেই সপোন এতিয়া ফলিয়ালে। কিন্তু দীৰ্ঘকাল ধৰি যি পৰাধীনতাৰ শিকলিৰে বন্দী হৈ আছে, সেই ক্ৰীতদাসে মুক্তিৰ কথা শুনিলে ভয় খায়। এই মানৱ সমাজ মূৰ্খ, অভাৱ আৰু অভুক্তিতেই এওঁলোকৰ অভ্যাস হৈ পৰিছে; আন কোনো অৱস্থাৰ কথা এওঁলোকে সহজে ভাবিব নোৱাৰে। এতেকে দেখা গ'ল ধন আছিল, কিন্তু সুখ নাছিল,—যি বিপুল ধন-ঐশ্বৰ্য বাঢ়িল, মানুহে নিজেই তাক ইচ্ছা কৰিয়েই নষ্ট কৰি পেলালে। উৎপাদন বন্ধ কৰিলে। বিক্ৰী বন্ধ হ'ল। সেই ধন মানুহৰ ভোগৰ কাৰণেতো নালাগিলেই বৰং তাৰ ফলত আৰু তীব্ৰ হৈ পৰিল নিবনুৱা সমস্যা, মানুহৰ দুখ-দৈন্য বাঢ়ি গ'ল।

এই সমস্যাৰ সমাধান হব কেনেকৈ? শান্তিৰ আশা কেনেকৈ কৰিব পৰা হব—ইয়াৰ কাৰণে সন্মিলনৰ পাচত সন্মিলন পতা হ'ল। পৃথিৱীৰ সকলো জাতি একেলগে মিলি আলোচনা কৰিবলৈ ধৰিলে। কত যে সন্ধি আৰু চুক্তি আৰু মিত্ৰতা স্থাপন হল তাৰ সীমা সংখ্যা নাই—ৱাচিংটন, লোকাৰ্ণো, কলেগ চুক্তি কত ৰকমৰ হ'ল। কিন্তু আচল যি সমস্যা, তাৰ ওচৰেদি কোনো নগল। ফলত দেখা গ'ল, কঠোৰ বাস্তৱৰ যেতিয়াই অলপ সংস্পৰ্শ ঘটিল তেতিয়াই এই সন্ধি আৰু চুক্তিও লগে লগে ভাগি পৰিল। য়ুৰোপৰ ভাগ্য নিৰ্ণয় কৰিবলৈ আৰু কোনো পথ বাকী নাথাকিল—একমাত্ৰ খোলা তৰোৱালৰ বাহিৰে। ভাৰ্চাইল সন্ধি ইতিমধ্যে মৰি ভূত হ'ল। ইউৰোপৰ মান চিত্ৰ একেবাৰে সলনি হৈ গৈছে; পৃথিৱীক এতিয়া নতুনকৈ ভাগ বটোৱৰা কৰি লোৱা হৈছে। যুদ্ধ ঋণৰ কথাটোৰ অতি সহজেই সমাধান হৈছে। সকলোতকৈ ধনী দেশবোৰে স্পষ্ট ভাৱে কৈ দিছে, এই ঋণৰ টকা তেওঁলোকে নিদিয়ে।

এতেকে দেখিছো আমি উভতি আহিছোঁ যুদ্ধৰ আগৰ যুগলৈ, ১৯১৪ চন বা তাৰো আগৰ অৱস্থালৈ। সেই সময়ৰ সকলো সমস্যা, সকলো সংঘাতেই আজিও বৰ্তমান, অকল সেয়ে নহয়—পিচৰ কাল চোৱাৰ ঘটনাৰ ফলত সেইবোৰৰ তীব্ৰতা এতিয়া আৰু শত গুণে বেচি। পুঁজিবাদী ব্যৱস্থাৰ যেতিয়া ভাঙোন ধৰিলে, তেতিয়া তাৰ পৰিণামত হ'ল অৰ্থনৈতিক জাতীয়তাবাদ, আৰু হ'ল ডাঙৰ ডাঙৰ একচেটীয়া ব্যৱসায়ৰ প্ৰতিষ্ঠা। মৰণ মুখী পুঁজিবাদ উগ্ৰ আৰু হিংস্ৰ হৈ উঠিল। পাৰ্লিয়ামেণ্ট পন্থী গণতন্ত্ৰকো ই আৰু সহ্য কৰিব নোৱাৰা হ'ল। ফেচিবাদ আৰু নাজীবাদে মূৰ তুলি থিয় দিছে, তেওঁলোকৰ সকলোবোৰ উলঙ্গ নৃশংসতাৰে, তেওঁলোকৰ সকলো ৰীতি নীতিৰ একমাত্ৰ লক্ষ্য হৈছে যুদ্ধ। ইয়াৰ লগে লগে আকৌ চোভিয়েট ৰুচিয়াত এক নতুন শক্তিৰ আবিৰ্ভাৱ হৈছে। পুৰণি বিশ্ব ব্যৱস্থাক ই ৰণ যুদ্ধলৈ আহ্বান কৰিছে। সাম্ৰাজ্যবাদ আৰু ফেচিবাদ দুয়োকে বাধা দিবলৈ বিচাৰিছে।

আমি যি যুগত বাস কৰিছো এইটো বিপ্লৱৰ যুগ। ১৯১৪ চনত যেতিয়া যুদ্ধ আৰম্ভ হ'ল, তেতিয়াৰপৰাই এই বিপ্লৱৰ আৰম্ভ। যুদ্ধৰ পিচত বছৰ ধৰি এই বিপ্লৱৰ সোঁত আগবাই গৈছে। পৃথিৱীৰ সকলোতে সকলো দেশতে ইয়াৰ সংগ্ৰাম চলিছে। যেনেকৈ ৰুচ দেশতে সমাজী বিপ্লৱ হৈছিল, তাৰ ফলত পৃথিৱীৰ

মানুহৰ ভিতৰত ৰাজনৈতিক সাম্যৰ প্ৰতিষ্ঠা হ'ল। কিন্তু যুগ সলনি হৈছে, আজিৰ দিনত আৰু কেৱল ৰাজনৈতিক সাম্য লৈ আমাৰ নচলা হৈছে। গণতন্ত্ৰৰ সীমা আৰু বঢ়াব লাগিব, অৰ্থনৈতিক সমস্যাকো তাৰ অন্তৰ্গত কৰি লব লাগিব। এইটোৱেই হৈছে আজিৰ দিনত মহা বিপ্লৱ, এই বিপ্লৱৰ মাজেদিয়েই আমি গৈছো। এই বিপ্লৱে মানুহৰ মাজত অৰ্থনৈতিক সাম্য আনি দিব। গণতন্ত্ৰ সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত কৰিব। বিজ্ঞান আৰু যন্ত্ৰৰ যি প্ৰগতি হৈছে—এই বিপ্লৱৰ দ্বাৰাই আমি তাৰ লগত সমানে খোজ মিলাই চলাৰ শক্তি অৰ্জন কৰিব। সাম্ৰাজ্যবাদ বা পুঁজিবাদৰ লগত এই সমতাৰ ভাৱটোৱেই খাপ নাখায়। এইবোৰ প্ৰতিষ্ঠাই হৈছে মানুহৰ ভিতৰত অসাম্য আৰু এটা জাতিৰ আন এটি জাতিৰ শোষণৰ ওপৰত। এতেকে এই শোষণত যিসকলৰ লাভ তেওঁলোকে এই সাম্য অনাৰ প্ৰচেষ্টাত বাধা দিছে। সেই সংগ্ৰাম যতেই তীব্ৰ হৈ উঠিছে, ৰাজনৈতিক সাম্য আৰু গণতন্ত্ৰৰ নামকেই এওঁলোকে লুপ্ত কৰি দিবলৈ বিচাৰিছে; ইয়াৰ নামেই ফেচিজিম; ইয়াৰ কাৰণে বহু বিষয়ত পৃথিৱীলৈ আকৌ মধ্যযুগৰ অৱস্থা উভতি আহিছে। জাতি বিশেষৰ প্ৰভুত্বক এওঁলোকে বৰ মহৎ আদৰ্শ বুলি প্ৰচাৰ কৰিছে। স্বৈৰতন্ত্ৰী ৰজাৰ অপ্ৰতিহত ক্ষমতা স্বয়ং ঈশ্বৰৰপৰা পোৱা—এয়ে আছিল সেই যুগৰ ধাৰণা। এওঁলোকে স্বৈৰতন্ত্ৰী ৰজাৰ ঠাইত স্বৈৰতন্ত্ৰী নেতাৰ, তেওঁৰো হেনো ক্ষমতা ঈশ্বৰ প্ৰদত্ত। যোৱা পাঁচ বছৰ ধৰি ফেচিজিমৰ শক্তি ক্ৰমে বাঢ়ি আহিছে। গণতন্ত্ৰৰ বিমান নীতি, স্বাধীনতা আৰু সভ্যতাৰ বিমান সূত্ৰ আমাৰ জনা আছিল এই সকলোবোৰকে ভাঙি পেলাবলৈ ই চেষ্টা চলাইছে। এতেকে গণতন্ত্ৰক কিদৰে ইয়াৰ আক্ৰমণৰপৰা জীয়াই ৰখা যায় এই-টোৱেই হৈছে আজিৰ দিনত অৰ্থনৈতিক ডাঙৰ সমস্যা। বৰ্ত্তমান যি সংগ্ৰাম পৃথিৱীত সেইটো একালে কমিউনিজম, চছিয়েলিছিম আৰু একালে ফেচিজিম ইয়াৰ ভিতৰত নহয়। এই যুদ্ধ প্ৰকৃততে হৈছে গণতন্ত্ৰ আৰু ফেচিজিমৰ মাজত। গণতন্ত্ৰৰ মাজত যি প্ৰকৃত শক্তি আছে, ই একলগ হৈ ফেচিজিমৰ বিৰুদ্ধে থিয় দিছে। আজিৰ স্পেইন ইয়াৰ জলন্ত উদাহৰণ।

কিন্তু এই গণতন্ত্ৰৰ পিচত স্বভাৱতেই জাগি উঠিছে গণতন্ত্ৰক আৰু বিস্তৃত কৰাৰ কল্পনা। প্ৰগতি বিৰোধীসকল সতৰ্ক হৈ উঠিছে—মুখত হয়তো এওঁ-লোকে গণতন্ত্ৰৰেই জয়গান কৰিছে; কিন্তু তলে তলে আনুগত্য প্ৰকাশ কৰিছে ফেচিজিমৰ প্ৰতি। ফেচিষ্ট ৰাষ্ট্ৰসমূহে কি কৰিবলৈ বিচাৰিছে সেইটো একেবাৰে স্পষ্ট। তেওঁলোকৰ লক্ষ্য বা নীতি কি সেই সম্বন্ধে কোনো সংশয়ৰ থল নাই। কিন্তু এই সকলো বিষয়েই প্ৰধানকৈ যাৰ ওপৰত নিৰ্ভৰ কৰিছে সি হৈছে তথা-কথিত 'গণতন্ত্ৰী' দেশসমূহৰ কাৰ্যকলাপ আৰু তাৰো ভিতৰত বিশেষকৈ ইংলেণ্ডৰ। এচিয়াত, আফ্ৰিকাত, ইউৰোপত বৃটিছ চৰকাৰে সদায়েই প্ৰগতিৰ বিৰুদ্ধে যুদ্ধ কৰি আহিছে। ফেচিজিম আৰু নাজীবাদক বিমান সম্ভৱ উৎসাহ দি আৰু সহায় কৰি আহিছে। আচৰিত কথা এয়ে—এওঁলোকৰ শক্তি বাঢ়িলে বৃটিছ সাম্ৰাজ্যৰো নিৰাপত্তা বিপন্ন হ'ব পাৰে, এই সম্ভাৱনা জানিও তেওঁলোকে নিবৃত্ত হোৱা নাই—প্ৰকৃত গণতন্ত্ৰ কিজানি প্ৰতিষ্ঠিত হয়—এই ভয়তেই ফেচিজিমৰ নেতাসকলৰ প্ৰতি এওঁলোকৰ ইমান প্ৰীতি। ফেচিজিম ক্ৰমে শক্তিশালী হৈ আহিছে; পৃথিৱীৰ সকলো বিষয়তে—ই নেতৃত্ব আৰম্ভ কৰিছে। ইয়াৰ বাবে বেছি প্ৰশংসা অন্যতো বৃটেনৰে প্ৰাপ্য। আমেৰিকা যুক্তৰাষ্ট্ৰৰ জনসাধাৰণে গণতন্ত্ৰক অলপ বেছি

যুদ্ধ আৰু মানে, তেওঁলোকে বহুবাৰ ঘোষণা কৰিছে ফেচিজিমৰ উগ্ৰ নীতিক যদি আন আন শক্তিসমূহে বাধা দিবলৈ বিচাৰে—আমেৰিকা তেওঁলোকৰ লগত যোগ দিবলৈ প্ৰস্তুত। বৃটেনে কিন্তু প্ৰত্যেকবাৰেই আমেৰিকাৰ এই আহ্বান প্ৰত্যাখ্যান কৰিছে। ফ্ৰান্সৰ কথা কোৱা বৃথা ; ই লণ্ডনৰ টকাৰ বজাৰ আৰু বৃটেনৰ পৰৰাষ্ট্ৰ নীতিৰ এনেভাৱে মুখাপেক্ষী হৈ চলিবলগীয়া হৈছে যে নিজৰপৰা কোনো স্বাধীন নীতি অৱলম্বন কৰাৰ সাহস ইয়াৰ নাই।

আন্তৰ্জাতিক শ্ৰমিক সন্মিলন যিবোৰ হৈছে, তাত দেখা গৈছে শ্ৰমিক সমস্যাৰ বিষয়তো বৃটেনে বাৰে বাৰে প্ৰগতি বিৰোধী নীতি অনুসৰণ কৰিছে। ১৯৩৭ চনত আন্তৰ্জাতিক শ্ৰমিক সভাই এই সিদ্ধান্ত লয় যে কাপোৰৰ কাৰখানাত শ্ৰমিকক সপ্তাহত চল্লিছ ঘণ্টাৰ বেছি খটুৱাব নোৱাৰিব। এই সিদ্ধান্ত লোৱা হ'ল বৃটেনৰ দুৰ্ধোৰ আপত্তি অগ্ৰাহ্য কৰি। বৃটিছৰ ডমিনিয়নবোৰে এই বিষয়ত বৃটেনৰ পক্ষীয়া নহৈ আমেৰিকাৰ প্ৰস্তাৱক সমৰ্থন কৰিলে। ভাৰতৰ প্ৰতিনিধি যি আছিল, তেওঁ অৱশ্যে বৃটিছ চৰকাৰৰেই মনোনীত লোক আছিল—তেওঁ স্বাভাৱিকতে বৃটেনৰ পক্ষ ল'লে। আমেৰিকাৰ প্ৰতিনিধি যিকেজন আছিল তেওঁলোকৰ ভিতৰত কাৰখানাৰ মালিকো আছিল ; চৰকাৰী প্ৰতিনিধিও আছিল। এওঁলোকে মন্তব্য কৰিছিল "বৃটিছ চৰকাৰ যে কিমানদূৰ প্ৰগতিবিৰোধী তেনেভাৱে অহাৰ আগতে সেই সম্বন্ধে কোনো ধাৰণাই আমাৰ নাছিল।" এওঁলোকৰ এজনেতো কৈছিল 'বৃটেন দেখিছোঁ প্ৰগতি বিৰোধীসকলৰ আগৰণুৱা হৈ পৰিছে।'

জাতিসংঘৰ দুৰ্বলতা প্ৰচুৰ। তথাপি আন্তৰ্জাতিক শান্তিৰ ধ্বজা ধাৰণ কৰিছে, ইয়াৰ চনদত আক্ৰমণকাৰী ৰাষ্ট্ৰৰ প্ৰতি শাস্তিৰ বিধান লেখা আছে। জাপানে যেতিয়া মাঞ্চুৰিয়া আক্ৰমণ কৰিলে, লীগে তেতিয়া একোকে কৰিব পৰা নাছিল। (তথ্য নিৰ্ণয় কৰিবলৈ এটা কমিচন অৱশ্যে লীগে বহুৱাইছিল)। বৃটিছ চৰকাৰে এই অভিযানত জাপানক উৎসাহিত কৰিছিল আৰু তাৰ পিছৰ পৰাই আজিলৈকে ক্ৰমানুয়ে লীগক উপেক্ষা কৰি চলাৰ আৰু বহু ধৰণে দুৰ্বল কৰি পেলোৱাৰ নীতি অৱলম্বন কৰি চলিছে। নাজীবাদ যেতিয়া বাঢ়ি আহিল, ই স্পষ্ট ভাষাৰে ঘোষণা কৰিলে যুদ্ধ আৰু উগ্ৰ নীতি ইয়াৰ লক্ষ্য, তাৰ মানে দেখ দেখকৈ লীগৰ নীতিক অগ্ৰাহ্য কৰা। তথাপি ইংলণ্ডই আৰু কিছু পৰিমাণে ফ্ৰান্সে এই উক্তিআদিৰ প্ৰতিবাদ নকৰিলে, তাৰ ফলত লীগ একেবাৰে লুপ্ত হৈ গ'ল। ফেচিষ্ট দেশবোৰ লীগৰপৰা বাহিৰ হৈ গ'ল। ১৯৩৩ চনত গ'ল জাৰ্মাণী, তাৰ পিছত গ'ল ইটালী আৰু জাপান। ১৯৩৪ চনৰ ছেপ্তেম্বৰ মাহত চোভিয়েট ইউনিয়নে লীগত আহি যোগ দিলে, লীগৰ দেহত আকৌ নতুন শক্তিৰ সঞ্চাৰ কৰিলে। নাজী জাৰ্মাণীৰ কথা ভাবি ফ্ৰান্সৰ মনত ভয় হ'ল—সেই কাৰণে ই চোভিয়েট ইউনিয়নৰ লগত এটা সন্ধি কৰি পেলালে। ইংলেণ্ডে কিন্তু লীগৰ চনদৰ ভিত্তিতো চোভিয়েট ইউনিয়নৰ লগত হাত মিলাবলৈ মান্তি নহয়। আনকি নাজী জাৰ্মাণীৰ লগত মিত্ৰতা স্থাপন কৰাকে ই শ্ৰেয় বুলি মানি ললে। ফেচিষ্ট সকলে এটাৰ পিছত এটা আক্ৰমণ আৰম্ভ কৰি দিলে আৰু সমাপ্তও কৰিলে। প্ৰত্যেকবাৰতে জয়লাভ কৰাৰ কাৰণে তেওঁলোকৰ দুঃসাহস আৰু বাঢ়ি গ'ল। তেওঁলোকে ঠিৰাংকৈ জানিলে যে লীগক তেওঁলোকে নিসংকোচে অগ্ৰাহ্য কৰিব

পাৰে। তাৰ কাৰণে কোনো শাস্তি তেওঁলোকে নাপায়। বৃটিছ চৰকাৰ একোতেই তেওঁলোকৰ বিপক্ষে নাযায়, এইটো তেওঁলোকে ঠিক বুজি লৈছিল।

এইদৰে বৃটিছ চৰকাৰ ক্ৰমে ফেচিষ্ট শক্তিসমূহৰ দলত সোমাই পৰিল। চীনত আবিচিনিয়াত স্পেইনত আৰু মধ্য ইউৰোপত বিবোৰ ঘটনা ঘটিছিল সেইবোৰ কিয় ঘটিবলৈ পালে তাৰ বহুখিনি কাৰণ ইয়াৰপৰাই বুজিব পাৰিবা। ইয়াৰপৰাই বুজিব পাৰি লীগ-অব-নেচনচ কিয় ভাঙি গ'ল। এনে ডাঙৰ গৌৰৱময় এটা প্ৰতিষ্ঠান জগতত শান্তি প্ৰতিষ্ঠাৰ গোটেই মানৱজাতিৰ উন্নতি সাধনৰ ইমানখিনি আশা লৈ যি গঢ়ি উঠিছিল কিয় সি এনেদৰে ধূলিৰ লগত মিহলি হৈ গ'ল।

আমি দেখিলো কিদৰে জাপান লীগ-অব-নেচনচক আৰু গোটেই সভ্য জগতক দ্বিধাহীনভাৱে অগ্ৰাহ্য কৰি মাঞ্চুৰিয়াত সোমাই গ'ল তাত 'মাঞ্চুকুও' বুলি এখন বহুতীয়া ৰাজ্য স্থাপন কৰিলে। মাঞ্চুৰিয়াত জাপানে ৰীতিমতে আক্ৰমণ চলাইছিল যদিও যুদ্ধ ঘোষণা কৰা নাছিল। মাঞ্চুৰিয়াৰ মাজত ই উচতাই দি বিদ্ৰোহ ঘটালে, আৰু তাৰ পিচত সেই বিদ্ৰোহৰ দোহাই দি সেই দেশৰ বিষয়ত হস্তক্ষেপ কৰিবলৈ গল। লোকৰ ৰাজ্য আক্ৰমণ কৰাৰ ই এটা নতুন ফন্দি। পিচৰ কাল ছোৱাত ইটালী আৰু নাজী জাৰ্মাণীয়ে এই ফন্দিকে আৰু সজাই পৰাই সুন্দৰ কৰি ল'লে ; তাৰ লগত আকৌ সাঙুৰি দিছে দেশ বিদেশত মিছা ৰাতৰি ৰতনা—এনেভাৱে মিছা প্ৰচাৰ পৃথিৱীত ইয়াৰ আগতে কেতিয়াও হোৱা নাছিল। এতিয়া আৰু পৃথিৱীত যুদ্ধ ঘোষণা কৰা নহয়—সেইবোৰ এতিয়া পুৰণি হৈ গৈছে। ১৯৩৭ চনৰ নুৰেম বুৰ্গত এখন সভাত হিটলাৰে কৈছিল—মই যদি কোনো শত্ৰুক কোনো-দিনা আক্ৰমণ কৰিবলগীয়া হয় তেনেহলে মই মাহৰ পিচত মাহ ধৰি সেই দেশৰ সৈতে চিঠিপত্ৰ লেখা লেখি কৰি আৰু উদ্যোগ আয়োজনৰ ভাও নধৰো ; মোৰ চিৰৰীতি যি কৰা অভ্যাস একেবাৰে তাকেই কৰিম—অন্ধকাৰৰ মাজৰপৰা অতৰ্কিতে আক্ৰমণ কৰিম। বিজুলী বেগেৰে তাৰ ওপৰত জপিয়াই পৰি তাক মাটিৰ লগত মিহলি কৰি দিম।"

১৯৩৫ চনৰ জানুৱাৰী মাহত ছাৰ উপত্যকাত গণভোট লোৱা হ'ল ; তাৰ ফলত জাৰ্মাণীয়ে ছাৰ দখল কৰি ললে। ভাৰ্চাইলচ সন্ধিত অস্ত্ৰসজ্জা সম্বন্ধে বিবোৰ স্বৰ্ত্ত দিয়া হৈছিল—এই বছৰৰ মে মাহত হিটলাৰে সেইবোৰ সকলো প্ৰত্যাখান কৰিলে। আদেশ জাৰি কৰিলে জাৰ্মাণীৰ প্ৰত্যেক লোকেই সৈন্য বাহিনীত যোগ দিব লাগিব। ভাৰ্চাইলচ সন্ধিক জাৰ্মাণীয়ে দেখা দেখিকৈ ভাঙি দিয়াৰ কাৰণে ফ্ৰান্স ভয়ত অস্থিৰ হৈ উঠিল। ইংলেণ্ডে কিন্তু জাৰ্মাণীৰ এই আচৰণক মানি ললে। কেৱল সেয়ে নহয়—ইয়াৰ এমাহ পিচত ই আৰু আগবাঢ়ি গ'ল। জাৰ্মাণীৰ লগত এটি গোপন নৌ-সন্ধি সম্পন্ন কৰিলে। এনে ধৰণৰ সন্ধি কৰাৰ অৰ্থই হৈছে ভাৰ্চাইলচ সন্ধি ভঙ্গ কৰা। এতেকে ইংলেণ্ডই নিজেই শান্তিৰ চুক্তি অমান্য কৰিলে। ইয়াৰ ভিতৰত আটাইতকৈ আচৰিত কথা হৈছে, এই সন্ধি কৰাৰ কথাটো ইংলেণ্ডৰ পুৰণি বন্ধু ফ্ৰান্সত নজনালেও আৰু কথাটো এনে এসময়ত সমাধা কৰিলে, যেতিয়া জাৰ্মাণীক বিপুল পৰিমাণৰ অস্ত্ৰ সম্ভাৰ

তৈয়াৰ কৰি নিজক আকৌ ৰণসাজত সজাই তুলিছে, ফ্ৰান্সৰ মতে ইংলেণ্ডৰ এই কামটো সম্পূৰ্ণ বিশ্বাস ঘাতকৰ কথা; ফ্ৰান্সে এইবাৰ ভাবত পৰিল যে মুচ-লিনীৰ ওচৰ চাপিব—তেওঁৰ লগত কিবা এটা বন্দৱস্ত কৰিব পৰা যায় নে দেখাহঁক—তেতিয়া হলে ইটালীৰ সীমান্তৰ কাষেদি তেওঁলোক আক্ৰান্ত হোৱাৰ ভয় নাথাকে।

আবিচিনীয়া

মুচলিনীয়ে দীৰ্ঘকাল ধৰি যি সুযোগৰ কাৰণে অপেক্ষা কৰিছিল—ইয়াৰ ফলত সেই সুযোগ হাতলৈ আহিল। বহু বছৰ ধৰি তেওঁৰ ইচ্ছা আছিল, আবি-চিনিয়া আক্ৰমণ কৰিব। কেৱল ইতস্ততঃ কৰিছিল ফ্ৰান্স আৰু বৃটেনে কোন পক্ষ লয় সেই কথা ঠিকাংকৈ বুজিব পৰা নাছিল কাৰণে। ফ্ৰান্সৰ লগত ইটালীৰ কিছুদিনৰ পৰা বৰ মনোমালিন্য চলিছিল। ১৯৩৪ চনৰ অক্টোবৰ মাহত মাৰ্ছাই চহৰত যুগোশ্লোভিয়াৰ ৰজা আলেকজেণ্ডাৰ আৰু ফ্ৰান্সৰ পৰৰাষ্ট্ৰ মন্ত্ৰী লুইবাৰ্থো নিহত হ'ল। মানুহৰ ধাৰণা—তেওঁলোকক হত্যা কৰিছে ইটালীৰ কোনো গুপ্তচৰে। এইবাৰ মুচলিনী নিশ্চিন্ত হ'ল। বুজি পালে যে তেওঁ যদি আবিচিনীয়া আক্ৰমণ কৰে ফ্ৰান্স বা ইংলণ্ডই তেওঁক প্ৰকৃততে বাধা নিদিয়ে। ১৯৩৫ চনৰ অক্টোবৰ মাহত মুচলিনীয়ে আবিচিনীয়া আক্ৰমণ কৰিলে। লীগ অৱ নেচনচৰ তেতিয়া অধিবেশন বহিছিল। আবিচিনীয়া নিজেও লীগৰ সভ্য, ঘটনা দেখি পৃথিৱী জুৰি মানুহ চমক খাই গ'ল। লীগে ইটালীক আক্ৰমণকাৰী বুলি ঘোষণা কৰিলে। বহুদিন ধৰি আলাপ-আলোচনাৰ পিছত ইটালীৰ বিৰুদ্ধে কেইটামান আৰ্থিক নিষেধাজ্ঞা জাৰি কৰিলে। তাৰ অৰ্থ আন বিলাক দেশ লীগৰ সভ্য,—সেইবোৰক কোৱা হ'ল বিশেষ কিছুমান বস্তু-সামগ্ৰী সেই দেশবোৰে ইটালীৰ লগত বেচা-কিনা কৰিব নোৱাৰিব। কিন্তু যুদ্ধ চলোৱাৰ কাৰণে যিবোৰ বস্তু প্ৰকৃততে দৰকাৰ—যেনে তেল, লোহা, কয়লা, তাঁৰ,—এইবোৰৰ নাম এই নিষিদ্ধ তালিকাৰ ভিতৰত নপৰিল। এংলো ইৰাণীয়ান অয়েল কোম্পানীয়ে দিনে ৰাতিয়ে কাম চলাই ইটা-লীক তেলৰ যোগান ধৰিব ধৰিলে। লীগৰ এই নিষেধাজ্ঞাৰ ফলত ইটালী কিছু-পৰিমাণে অসুবিধাত পৰিল সঁচা, কিন্তু ইয়াৰ দ্বাৰা ইটালীৰ কাম বিশেষ আঘাত একো নহ'ল। আমেৰিকাৰ যুক্তৰাষ্ট্ৰই প্ৰস্তাৱ কৰিলে, ইটালীক তেল বেচাটো বন্ধ কৰা হওক। বৃটেন তাত মান্তি নহ'ল।

বৃটেনৰ পৰৰাষ্ট্ৰ সচিব ছাৰ চেমুৱেল হোৰ আৰু ফ্ৰান্সৰ সচিব পিয়েৰ লাভাল, এওঁলোক দুয়ো যুক্তি কৰি ঠিক কৰিলে আবিচিনীয়াৰ এটা ডাঙৰ অংশ ইটালীক দি দিব। কিন্তু তাৰ বিৰুদ্ধে প্ৰবল জনমতৰ সৃষ্টি হ'ল; ফলত চেমুৱেল হোৰ পদত্যাগ কৰিবলৈ বাধ্য হ'ল। আবিচিনীয়াৰ জনসাধাৰণে ইফালে বৰ বিক্ৰমেৰে যুঁজ কৰি গ'ল। কিন্তু কৰিবলৈ কি হ'ব—ইটালীৰ উৰাজাহাজবোৰে নিচেই তলেৰে উৰি উৰি দেশৰ সকলোতে বোমা পেলাই ফুৰিছে। ইহঁতৰ লগত যুঁজৰ শক্তি এওঁলোকৰ নাই। অসামৰিক লোক, তিৰোতা, শিশু, বুঢ়া, হাস্পাতাল—সকলোৰে ওপৰত ইটালীৰ বোমাৰুৱে কোনো বিচাৰ নকৰাকৈ জুইবোমা, আৰু

গেচবোমা ’ পেলাইছিল। আবিচিনীয়াৰ সকলোতে যি হত্যাকাণ্ড চলিছিল ই একেবাৰে নৃশংস ঘটনা। ১৯৩৬ চনৰ মে মাহত ইটালীৰ সৈন্যই আবিচিনীয়াৰ ৰাজধানী আদ্দিচ-আবাবাত প্ৰবেশ কৰিলে। তাৰ পিচত দেশৰ বহু ঠাই লাহে লাহে দখল কৰি ললে। তাৰ পিচত আৰু আঢ়ৈ বছৰ পাৰ হৈ গ’ল। কিন্তু আবিচিনীয়াৰ সৈন্যসকলে এতিয়াও ইটালীৰ সৈন্যবাহিনীৰ লগত ভিতৰুৱা অঞ্চলত যুদ্ধ চলাই আছে। প্ৰকৃততে আবিচিনীয়া জয় সম্পূৰ্ণ কৰিবলৈ ইটালীৰ এতিয়াও বহুত বাকী। যদিও ইংলেণ্ড আৰু ফ্ৰান্সে ইটালীক আবিচিনীয়াৰ বিজেতা বুলি স্বীকাৰ কৰি লৈছে।

আবিচিনীয়াৰ এই দুৰ্ভাগ্য-ইয়াৰ প্ৰতি লীগৰ মুখিয়াল সভ্যসকলৰ এই হীন বিশ্বাসঘাতকতা। ইয়াৰপৰা স্পষ্ট বুজা গ’ল, লীগৰ আচল শক্তি বুলি একেবাৰেই নাছিল। হিটলাৰে দেখিলে তেওঁ এইবাৰ নিৰ্ভয়ে লীগক অমান্য কৰিব পাৰে। ১৯৩৬ চনৰ মাৰ্চ মাহত তেওঁৰ সৈন্য ৰাইনলেণ্ডত উপস্থিত হল। ৰাইনলেণ্ডক অসামৰিকীকৰণ অঞ্চল বুলি ধৰি ইয়াৰ সৈন্য বল আগতে ভাঙি দিয়া হৈছিল। হিটলাৰৰ এই অভিযানে ভাৰ্চাইল সন্ধিৰ চৰ্ত আৰু এবাৰ ভঙ্গ কৰিলে।

স্পেইন

১৯৩৬ চনত ফেচিষ্টসকলে ইউৰোপত প্ৰভুত্ব প্ৰতিষ্ঠা কৰাৰ পথত আৰু এখোজ আগুৱাই গ’ল। ইয়াৰ ফলত গণতন্ত্ৰ আৰু স্বাধীনতাৰ উপাসকসকলো একেবাৰে মৰণ পণ কৰি সংগ্ৰামত নামিবলগীয়া হ’ল। আমি দেখিছো স্পেইনত এই প্ৰতিদ্বন্দ্বী শক্তিবোৰৰ মাজত ঘোৰ যুদ্ধ চলিছিল—প্ৰগতি বিৰোধী যাজক আৰু অৰ্দ্ধ-সামন্ত বাহিনীৰ লগত নৱজাত প্ৰজাতন্ত্ৰই প্ৰাণপণে যুঁজ কৰিবলগীয়া হৈছিল। শেষলৈ সকলো প্ৰগতিশীল দল একেলগে গোট খালে। ১৯৩৬ চনত এওঁলোক সকলোৱে মিলি এট গণতান্ত্ৰিক দল গঠন কৰিলে। ইয়াৰ কিছুদিন আগতে ফ্ৰান্সতো এটি গণতান্ত্ৰিক দল গঠন হৈছে, ইয়াৰ উদ্দেশ্য আছিল ফেচিষ্টসকলক বাধা দিয়া। ফেচিষ্টসকলৰ শক্তি তেতিয়া ক্ৰমে বেছি হৈ আহিছে। ফ্ৰান্সত গণতন্ত্ৰৰ অৱসান ঘটাব বুলি ই দেখা দেখিকৈ ভাবুকি দিছে, ইতিমধ্যে এবাৰ ফ্ৰান্সৰ ভিতৰত এটি বিদ্ৰোহ ঘটোৱাৰ চেষ্টা কৰা হৈছে—অৱশ্যে সেই বিদ্ৰোহ সফল হোৱা নাই। এই গণতান্ত্ৰিক দলৰ আৱিৰ্ভাৱত ফ্ৰান্সৰ জনসাধাৰণ আনন্দত উল্লাসিত হৈ উঠিল। নিৰ্ব্বাচনত এওঁলোকে জয়লাভ কৰিলে। এওঁলোকৰ প্ৰতিষ্ঠিত চৰকাৰে শ্ৰমিকসকলৰ দুখ মোচনৰ কাৰণে বহুতো আইন প্ৰণয়ন কৰিলে।

স্পেইনৰ গণতান্ত্ৰিক দল কৰটেছৰ নিৰ্ব্বাচনত জয়ী হ’ল, শাসন ক্ষমতা হাতলৈ আনিলে। দেশৰ শাসন ব্যৱস্থাত নানাবিধ সংস্কাৰৰ প্ৰয়োজন, দীৰ্ঘকাল ধৰি সেই সংস্কাৰৰ কামত কোনেও হাত দিয়া নাই। সেই সংস্কাৰ সাধন কৰিব, ধৰ্ম্ম প্ৰতিষ্ঠানবোৰৰ প্ৰতিপত্তি কমাই দিব, দেশৰ ওচৰত এয়ে আছিল এওঁলোকৰ প্ৰতিশ্ৰুতি। যদি নঁচাকৈয়ে এওঁলোকে এইবোৰৰ সংস্কাৰ সাধন কৰে, ইয়াৰ ভয়তে

দেশত থকা যি প্ৰগতি-বিৰোধী দল আছিল সকলো একগোট হ'ল, এওঁলোকৰ ওপৰত আঘাত কৰিবলৈ প্ৰস্তুত হ'ল। ইটালী আৰু জাৰ্মানীৰ অন্তৰত এওঁলোকে সাহায্য বিচাৰিলে, তেওঁলোকেও আনন্দেৰে সহায় কৰিবলৈ মান্তি হ'ল। ১৯৩৬ চনৰ ১৮ জুলাই তাৰিখে জেনেৰেল ফ্ৰাংকোৱে বিদ্ৰোহ ঘোষণা কৰিলে। স্পেইনৰ মুৰিছ সৈন্যবাহিনী তেওঁৰ কৰ্তৃত্বাধীন, বহুতো প্ৰলোভন আৰু প্ৰতিশ্ৰুতি দি তেওঁলোকক এওঁ হাত কৰি লৈছে। ফ্ৰাংকোৱে আশা কৰিছিল, অতি সহজে আৰু অতি কম সময়ৰ ভিতৰতে তেওঁ যুদ্ধ জয় কৰিব, নোৱাৰিবৰ কাৰণো নাই; দেশৰ সৈন্য বাহিনী তেওঁৰ কৰ্তৃত্বাধীন, বাহিৰৰ পৰাও দুখন শক্তিশালী ৰাষ্ট্ৰই তেওঁক সহায় কৰিছে। সকলোৱে ভাবিলে প্ৰজাতন্ত্ৰী চৰকাৰৰ আৰু এইবাৰ ৰক্ষা নাই। কিন্তু সেই চৰম বিপদৰ সময়ত তেওঁলোকে স্পেইনৰ জনসাধাৰণক আহ্বান জনালে, ক'লে—তোমালোকৰ স্বাধীনতা তোমালোকে আজিয়েই ৰক্ষা কৰা, তেওঁলোকৰ হাতত অস্ত্ৰ-শস্ত্ৰ বিলাই দিলে। সেই আহ্বান শুনি জনতা জাগি উঠিল, ফ্ৰাংকোৰ বহুতো আৰু বিমান বাহিনীৰ লগত প্ৰায় খুদা হাতেৰেই যুঁজ আৰম্ভ কৰি দিলে। এওঁলোকৰ পৰাক্ৰম দেখি ফ্ৰাংকো খন্তেক থমকি ৰ'বলগীয়া হ'ল। গণতন্ত্ৰৰ পক্ষে থিয় হৈ যুঁজ কৰিবলৈ আন আন দেশৰ পৰা স্বেচ্ছা সৈনিকৰ দল স্পেইনত উপস্থিত হৈছিল। এওঁলোক সকলোৱে মিলি এটা আন্তৰ্জাতিক বাহিনী গঠন কৰিলে। স্পেইনৰ এই প্ৰয়োজনৰ দিনত এই বাহিনীয়ে ইয়াক যি সহায় কৰিলে, তাৰ তুলনা নাই। কিন্তু ইফালেও ফ্ৰাংকোক সহায় কৰিবলৈ ইটালীৰ চৰকাৰী বাহিনী আহিল। ইটালী আৰু জাৰ্মানীৰ পৰা ফ্ৰাংকোৱে অজস্ৰ বিমান, বৈমানিক কাৰিকৰ আৰু অস্ত্ৰ-শস্ত্ৰৰ যোগান পাবলৈ ধৰিলে। অদ্ভুত যুদ্ধ; ফ্ৰাংকোৰ পিছত থাকিল, ইটালী আৰু জাৰ্মানীৰ সুশিক্ষিত অভিজ্ঞ সেনা নায়কসকল আৰু প্ৰজাতন্ত্ৰী স্পেইনৰ চৰকাৰৰ ফালে থাকিল প্ৰজাৰ উৎসাহ সাহস আৰু বিপুল আত্মোৎসৰ্গ। বিদ্ৰোহী সকল ক্ৰমান্বয়ে আগবাঢ়ি গ'ল। ১৯৩৬ চনৰ নৱেম্বৰ মাহত তেওঁলোকে মাদ্ৰিদ চহৰৰ দুৱাৰত আহি উপস্থিত হৈছিল। কিন্তু অৱশেষত এই জনতাই তেওঁলোকৰ বাট বিক্ৰমেৰে বাধা দিলে, বিদ্ৰোহীসকল আৰু আগবাঢ়িব নোৱাৰিলে। 'আৰু আগবাঢ়িবলৈ দিয়া নহয়' এই ধ্বনিৰে প্ৰজাসকলে আকাশ পাতাল মুখৰিত কৰি তুলিলে। মাদ্ৰিদত বৰ ডাঙৰ ডাঙৰ কামানৰ পৰা প্ৰতিদিনেই ইয়াৰ ওপৰত অসংখ্য গোলা আৰু গুলী বৰ্ষণ হ'ল। মাদ্ৰিদৰ অপূৰ্ব সৌধ বুলিৰ লগত মিহলি হৈ গ'ল। অগ্নিবোমাবৰ্ষণৰ বাও চহৰৰ সকলোতে দিনে ৰাতিয়ে জুই জ্বলিবলৈ ধৰিলে—ইয়াৰ বীৰ সন্তানসকলে ইয়াক ৰক্ষা কৰিবলৈ দলে দলে ওলাই আহি মৃত্যু বৰণ কৰিলে—তথাপি মাদ্ৰিদ উচ্চশিৰে থিয় হৈ থাকিল। যুদ্ধত ই সহায়ে ইয়াক জয় কৰিব নোৱাৰি। মাদ্ৰিদৰ আশে পাশে বিদ্ৰোহী সৈন্য পিঁপৰা প্ৰবল আহি পাইছিল তাৰ পৰা সম্পূৰ্ণ দূৰ নহয় পাৰ হৈ গ'ল। এতিয়াও তেওঁলোকে আজিও চহৰৰ বাহিৰত থিয় হৈ আছে, তাত থিয় হৈ মাদ্ৰিদবাসীৰ হুকাৰ শুনিছে— 'আম পাছা-ৰিয়া।' মাদ্ৰিদ চহৰ ভগ্নস্তূপত পৰিণত হ'ল; ইয়াৰ দুখৰ সীমা নাই, তাৰ দুৰ্দশাৰ শেষ নাই—তথাপি গৰ্ব্বেৰে মূৰ তুলি ই থিয় হৈ আছে—মাদ্ৰিদ আজিও স্বাধীন। স্পেইনৰ লোকসকল বীৰদৰ্পে গৰীয়ান, শত আঘাততো তেওঁলোকে পৰাজয় স্বীকাৰ

কৰিব নাজানে। তেওঁলোকৰ সেই অদম্য মনোভাবৰ জয়স্তম্ভৰ প্ৰতীক স্বৰূপে-হ'ল তেওঁলোকৰ ৰাজধানী মাদ্ৰিদ।

স্পেইনৰ এই যুদ্ধখনৰ সম্পূৰ্ণ স্বৰূপটি আমি বুজি লোৱা উচিত—কাৰণ ই কেৱল এখন ঠাইত বা এটা জাতিৰ ধৰুৱা কন্দল নহয়—তাতকৈ বহুত ডাঙৰ ঘটনা। ইয়াৰ আৰম্ভ হৈছিল গণতন্ত্ৰী পন্থাৰে নিৰ্ব্বাচিত পালিয়ামেণ্টৰ বিৰুদ্ধে বিদ্ৰোহৰ যোগেদি। তেতিয়া বিদ্ৰোহীসকলৰ মুখত ধ্বনি আছিল এয়া কমিউনিজিম আহিল, এইয়া ধৰ্ম্মবিপ্লৱ আহিল। কিন্তু সেই গণতান্ত্ৰিক দল যি প্ৰতিনিধিৰে গঠিত তেওঁলোকৰ ভিতৰত কমিউনিষ্ট নিচেই তাকৰ আছিল—আনকি নাই বুলিলেই হয়। এওঁলোকৰ বেছি ভাগেই আছিল চছিয়েলিষ্ট আৰু প্ৰজাতন্ত্ৰবাদী। আৰু ধৰ্ম্মৰ কথা যদি কোৱা হয় কেৱল প্ৰজাতন্ত্ৰৰ পক্ষে সকলোতকৈ বেছি বীৰত্ব আৰু নিষ্ঠাৰে যিসকলে যুঁজ কৰিছে, তেওঁলোক হৈছে বাস্ক প্ৰদেশৰ কেথলিকসকল—এওঁলোক নিশ্চয় ধৰ্ম্মদ্ৰোহী নহয়। জাৰ্ম্মাণীতেইহে হিটলাৰে ধৰ্ম্মমতৰ স্বাধীনতা অব্যাহত থাকিবলৈ দিয়া নাই। স্পেইনৰ প্ৰজাতন্ত্ৰী চৰকাৰে ধৰ্ম্ম-কৰ্ম্মত সকলোৰেই সমান অধিকাৰ স্বীকাৰ কৰি লৈছে, সেই অধিকাৰ ৰক্ষা কৰিছে। অৱশ্যে মাটি আৰু শিক্ষা ব্যৱস্থাৰ ওপৰত ধৰ্ম্ম প্ৰতিষ্ঠানৰ যি একচেতিয়া আধিপত্য চলি আছিল, সেইটো অক্ষুণ্ণ ৰাখিবলৈ এওঁলোক মান্তি নহয়। আচলতে এই বিদ্ৰোহ হ'ল গণতন্ত্ৰৰ বিৰুদ্ধে, প্ৰজাতন্ত্ৰী চৰকাৰে মাটিৰ ওপৰত সামন্তসকলৰ আৰু ডাঙৰ ডাঙৰ জমিদাৰসকলৰ আধিপত্য লুপ্ত কৰি দিব—এই ভয়ত। আগতেও কৈছো, এনে ধৰণৰ ভয়ৰ কাৰণ যেতিয়া ঘটে, তেতিয়া আৰু প্ৰগতি-বিৰোধীসকলে গণতন্ত্ৰী আচাৰ-নীতি মানি চলাটো আৱশ্যক বোধ নকৰে। জনসাধাৰণক বুজাই তেওঁলোকৰ ভোটৰ বলত শাসন ক্ষমতা হাত কৰাৰ দৰে ধৈৰ্য্য তেওঁলোকৰ নাথাকে। তেতিয়া তেওঁলোকে দেখা দেখিকৈ হাতত অস্ত্ৰ তুলি লয়। যুদ্ধৰ বিভীষিকা সৃষ্টি কৰে, তাৰ যোগেদি জনতাক বশীভূত কৰিবলৈ প্ৰচেষ্টা চলায়।

স্পেইনৰ সৈন্যবাহিনী আৰু পুৰোহিতসকলে একেলগে ষড়যন্ত্ৰ কৰি বিদ্ৰোহৰ সৃষ্টি কৰিলে, ইটালী আৰু জাৰ্ম্মাণী এই দুয়োখন ফেচিষ্ট দেশে আনন্দৰে এওঁলোকৰ সহায় কৰিবলৈ আগবাঢ়ি আহিল। আহিবৰ কাৰণো আছিল। স্পেইনক এওঁ-লোকে কৰায়ত্ত কৰিবলৈ বিচাৰে; সেইটো সম্ভৱ হলে ভূমধ্য সাগৰত তেওঁলোকৰ প্ৰতিপত্তি বাঢ়িব। তাত তেওঁলোকে নৌসেনাৰ ঘাঁটি স্থাপন কৰিব পাৰিব। স্পেইনত বহু প্ৰকাৰৰ খনিজ সম্পদ আছে; সেইবোৰৰ প্ৰতিও এওঁলোকৰ কম লোভ নহয়। এতেকে দেখিলা, স্পেইনৰ এই যুদ্ধখন মুঠেই গৃহযুদ্ধ নহয়—আচলতে ই হৈছে ইউৰোপৰ যুদ্ধ। ইউৰোপত শক্তি প্ৰতিষ্ঠাৰ ডবা খেলত ই এটা নতুন চাল; ইয়াৰে তেওঁলোকে ফ্ৰান্সক পৰাভূত কৰিবলৈ আৰু বৃটেনক নিস্তেজ কৰি পেলাবলৈ চেষ্টা কৰিছে; সেইটো সম্ভৱ হলেই ইউৰোপৰ সকলোতে ফেচিজিমৰ প্ৰভুত্ব প্ৰতিষ্ঠিত হব। ইটালী আৰু জাৰ্ম্মাণীৰ মাজতো এই বিষয়ত কিছু পৰিমাণে স্বাৰ্থৰ সংঘাত আছে; কিন্তু বৰ্ত্তমান কিছুদিনৰ কাৰণে তেওঁলোক একত্ৰ হৈয়েই থাকিল।

স্পেইন যদি ফেচিষ্ট হৈ যায়—তেন্তে ফ্ৰান্সৰ একেবাৰে সৰ্ব্বনাশ হ'ব ; বৃটেনৰো বিপদ, ভূমধ্য সাগৰেদি বা উত্তমাশা অন্তৰীপ ঘূৰি দূৰপ্ৰাচ্যলৈ যোৱা আহাৰ শ্ৰাদ্ধ দেশলৈ যাতায়তৰ পথ, বিপদ সঙ্কুল হৈ উঠিব। জিব্ৰেল্টাৰ তেতিয়া আৰু কোনো কামতে নাহিব। বৃটেনৰ চুৱেজখালৰো বিশেষ মূল্য নাথাকিব। এতেকে গণ-তন্ত্ৰৰ প্ৰতি প্ৰীতিৰ কাৰণে নহলেও অন্ততঃ নিজৰ স্বাৰ্থৰ খাতিৰত ইংলণ্ড আৰু ফ্ৰান্সে এই বিপদত আইনমতে বিধিনি পৰা যায় সেইবিলি সহায় স্পেইনৰ চৰকাৰক দিব, বিদ্ৰোহ দমনত তেওঁলোকক সহায় কৰিব, এইটোৱেই স্বাভাৱিক আছিল। কিন্তু এতিয়াও দেখা গ'ল দেশৰ চৰকাৰ বিশেষ এটি শ্ৰেণীৰ স্বাৰ্থতে পৰিচালিত হৈছে। তাৰ ফলত যদি সমগ্ৰ দেশৰ স্বাৰ্থ বিপন্ন হয় তাতে, তাৰ ভ্ৰুক্ষেপ নাই। বৃটিছ চৰকাৰে ভাবি চিন্তি 'নিৰপেক্ষ হৈ থকাৰ' পৰিকল্পনা ৰচনা কৰিলে, আমাৰ এই যুগত ইয়াতকৈ ডাঙৰ প্ৰহসন আৰু হোৱা নাই। জাৰ্মাণ আৰু ইটালীও সেই 'নিৰপেক্ষ কমিটীৰ' সভ্য, অথচ তেওঁলোকে দেখাদেখিকৈ এই বিদ্ৰোহী দলক সহায় কৰিবলৈ লৈছে, ইয়াকেই দেশৰ আইনসম্মত শাসন কৰ্ত্তৃপক্ষ বুলি স্বীকাৰ কৰি লৈছে। তেওঁলোকৰ সৈন্যদলে ফ্ৰাঙ্কোৰ কাষত থিয় হৈ যুদ্ধ কৰিছে তেওঁলোকৰ বৈমানিকসকলে স্পেইনৰ চহৰবোৰৰ ওপৰত বোমা বৰ্ষণ কৰিছে। এতেকে এই 'নিৰপেক্ষতাৰ' অৰ্থ হৈছেগৈ একমাত্ৰ বিদ্ৰোহীসকলে আনৰপৰা সহায় পোৱাৰ অধিকাৰী। বৃটিছ চৰকাৰৰ ইঙ্গিত অনুসাৰে ফ্ৰান্সেও পিৰেনিজ সীমান্ত পথ বন্ধ কৰি দিছে, যেন সেই পথেৰে কোনো ৰকমৰ সহায় স্পেইনৰ প্ৰজাতন্ত্ৰী চৰকাৰে নাপায়।

খাদ্য বস্তু লৈ বৃটেনৰ জাহাজ স্পেইনলৈ যায়, ইয়াৰ বহুতো জাহাজ ফ্ৰাঙ্কোৰ বিমান আৰু নৌ সেনাবোৰে বুৰাই পেলাইছে, আৰু বৃটিছ প্ৰধান মন্ত্ৰী চেম্বাৰলেনে ফ্ৰাঙ্কোৰ সেই আচৰণৰ সমৰ্থন কৰিছে। গণতন্ত্ৰ কিমানি বাকী আছে তাৰ কাৰ-পেই বৃটিছ চৰকাৰে এইটো কৰিছে। কিছুদিনৰ আগতে মাত্ৰ বৃটিছ চৰকাৰে ইটালীৰ লগত এটি চুক্তি সম্পন্ন কৰিছে—তাৰ যোগেদি ফ্ৰাঙ্কোৰ আচৰণৰ বৈধতা স্বীকাৰৰ পথত আৰু এখোজ আগুৱাই গৈছে। ইটালীকো স্পেইনৰ কথাত হস্তক্ষেপ কৰিবলৈ অবাধ স্বাধীনতা দিছে। প্ৰকৃততে স্পেইনৰ প্ৰজাতন্ত্ৰই যদি ইংলণ্ড আৰু ফ্ৰান্সৰ ওপৰত ভৰসা কৰি থাকে, বা এওঁলোকৰ উপদেশ শুনি চলে, তেন্তে বহু আগতেই ইয়াৰ শেষ হলহেতেন। কিন্তু বৃটেইন আৰু ফ্ৰান্সৰ এই বিপৰীত নীতি সত্ত্বেও স্পেইনৰ জন সাধাৰণ ফেচিষ্টসকলৰ ওচৰত মূৰ দোৱাবলৈ একেবাৰেই মান্তি নহল। তেওঁলোকৰ কাৰণে এতিয়া ই স্বাধীনতাৰ যুদ্ধ হৈ পৰিছে ; বিদেশী আক্ৰমণকাৰীৰ হাতৰপৰা দেশক ৰক্ষোৱাৰ যুদ্ধ। অপূৰ্ব্ব এই যুদ্ধ—ইয়াৰ তুলনা কেৱল পুৰণি মহাকাব্যত হে পোৱা যাব;—বীৰত্ব আৰু অধ্যৱসায়ৰ যি অপূৰ্ব্ব নিদৰ্শন এওঁলোকে দেখুৱাইছে, তাক চাই গোটেই জগতৰ লোক অবাক হৈ গৈছে। ইফালে ফ্ৰাঙ্কোৰ পক্ষে যুদ্ধ কৰিছে যি ইটালীৰ আৰু জাৰ্মাণীৰ বিমান বাহিনীয়ে তেওঁলোকে দেশৰ সকলো খিনিতে ক্ষুদ্ৰ নগৰে চহৰে অসামৰিক জনসাধাৰণৰ ওপৰত নিৰ্বিচাৰে যি দৰে বোমা কৰিছে, তাতকৈ ভয়াবহ কাম আৰু কেতিয়াও হব নোৱাৰে।

যোৱা দুবছৰৰ ভিতৰত প্ৰজাতন্ত্ৰী চৰকাৰৰ এটি সুন্দৰ সৈন্যবাহিনী গঢ়ি উঠিছে। বিদেশৰপৰা যিমান স্বেচ্ছা-সৈনিক এওঁলোকক সহায় কৰিবলৈ আহিছিল, তেওঁলোকৰ সকলোকেই সম্প্ৰতি এওঁলোকে নিজৰ নিজৰ দেশলৈ পঠিয়াই দিছে। স্পেইনৰ এতিয়া প্ৰায় তিনি চতুৰ্থাংশ মাটি ফ্ৰাঙ্কোৰ দখলত, মাদ্ৰিদ আৰু ভ্যালালচিয়াকো তেওঁৰ সৈন্যই ক্যেটলোনিয়াৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে। কিন্তু তথাপি এই নতুন প্ৰজাতন্ত্ৰী সৈন্যবাহিনীয়ে ফ্ৰাঙ্কোৰ অগ্ৰগতিত বাধা দিছে। এব্ৰোত কেইমাহমান ধৰি একেলেঠাৰিয়ে যুদ্ধ চলিছে-সেই যুদ্ধত এই বাহিনীয়ে প্ৰমাণ কৰি দিছে তাৰ শক্তি কিমান। এতিয়া এইটো ভালদৰে বুজিব পৰা গৈছে এই বাহিনীক পৰাস্ত কৰা ফ্ৰাঙ্কোৰ সাধ্য নাই—অৱশ্যে যদি বিদেশৰপৰা অসংখ্য পৰিমাণৰ সহায় আমদানি কৰে, সেই কথা সুকীয়া।

স্পেইনৰ প্ৰজাতন্ত্ৰৰ অগ্নিপৰীক্ষা চলিছে। তাৰ উপৰিও ইয়াৰ ডাঙৰ সমস্যা হৈ পৰিছে-খাদ্যৰ অভাব, বিশেষকৈ জাৰৰ মাহকেইটাত। তাৰ বাবে এই প্ৰজাতন্ত্ৰী চৰকাৰে নিজৰ সৈন্যবাহিনী আৰু এওঁলোকৰ অধীনত থকা অঞ্চলৰ প্ৰজাসাধাৰণৰ কাৰণেই অকল নহয়—ফ্ৰাঙ্কোৰ অধিকৃত অঞ্চলৰ পৰা গুচি অহা ভগনীয়াসকলৰো খাদ্য যোগাবলগীয়া হৈছে।

চীন

স্পেইনত কি নৃশংস ঘটনা ঘটিছে তাক দেখিলা। চীনৰ ভাগ্য লৈ যি খেলা চলিব ধৰিছে সেইটো এইবাৰ চোৱা যাওক।

জাপানে মাঞ্চুৰিয়াত একেলেঠাৰিয়ে আক্ৰমণ চলাইছিল। বৃটিছ চৰকাৰেও জাপানৰ জয় কামনা কৰিছিল। আমেৰিকাই জনাইছিল বৃটেইনে যদি জাপানৰ এই আক্ৰমণক বাধা দিব খোজে তেন্তে আমেৰিকাই বৃটেনক সহায় কৰিব। আমেৰিকাৰ এই প্ৰস্তাৱ বৃটেনে প্ৰত্যাখ্যান কৰিলে। বৃটেনে এই ধৰণে জাপানক উৎসাহিত কৰি শক্তিশালী এটা প্ৰতিদ্বন্দ্বী শক্তিৰ আৰু শক্তি বঢ়াবলৈ গ'ল কিয়? কুৰি শতিকাৰ একেবাৰে প্ৰথমৰপৰাই জাপানে সাম্ৰাজ্যবাদী জাতি হিচাবে শক্তি সঞ্চয় কৰি বাঢ়ি উঠিছে—প্ৰায় বৃটেনৰ আশ্ৰয়তে পুষ্ট হৈছে। প্ৰথম ভাগত বৃটেনৰ ইচ্ছা আছিল, জাপানৰ যোগেদি জাৰ শাসিত ৰুচিয়াক জব্দ কৰি ৰখা। মহাযুদ্ধৰ পিচত বৃটেনৰ শক্তিশালী প্ৰতিদ্বন্দ্বী হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু চোভিয়েট ৰুচিয়া। এতেকে এতিয়াও জাপানক পৃষ্টপোষকতা কৰা নীতিটোকে বৃটেনে চলাই ৰাখিলে। এনেদৰে চলোঁতে চলোঁতে এতিয়া জাপানৰ হাতত্তেই বৃটেনৰ স্বাৰ্থ হানি হোৱাৰ সম্ভাৱনাই আহি দেখা দিলে। ১৯৩৩ চনত আমেৰিকাই চোভিয়েট ইউনিয়নক বৈধ ৰাষ্ট্ৰ বুলি স্বীকাৰ কৰি লৈছিল তাৰো এটা ডাঙৰ কাৰণ আছিল, জাপানৰ লগত আমেৰিকাৰ অৰিয়া-অৰি।

১৯৩৩ চনৰ পিচৰপৰা চীনত একেলগে কেইটামান চৰকাৰ প্ৰতিষ্ঠিত হৈছে, চিয়াংকাইচেকৰ জাতীয় চৰকাৰ, আন আন ৰাষ্ট্ৰয়ো ইয়াক স্বীকাৰ কৰি লৈছে, দক্ষিণ চীনৰ কেণ্টন চৰকাৰ,— এওঁলোকেও কুওমিংটান নীতি মানি চলে বুলি

দাবী কৰে। চীনৰ মধ্যভাগত প্ৰকাণ্ড এই চোভিয়েট অঞ্চল। তদুপৰি মধ্য-প্ৰদেশত কেইজনমান স্বাধীন সমৰ-নায়ক সাৰতও এতিয়ালৈকে তিষ্ঠি আছে। ইফালে পিকিঙৰ উত্তৰ ফালে আহি সোমাইছে জাপান, চীনৰপৰা ই ক্ৰমে মাঞ্চু আজুৰি ছিঙি নিছে। চিয়াংকাইচেকৰ উচিত আছিল জাপানীসকলৰ এই অভি-যানত বাধা দিয়া। তাকে নকৰি তেওঁ কেৱল চোভিয়েট অঞ্চলবোৰলৈকে তাৰ তাৰ সৈন্য বাহিনী বছৰৰ পিচত বছৰ ধৰি পঠাবলৈ ধৰিলে। সেই অঞ্চলবোৰক ধ্বংস কৰাৰ কাৰণেই তেওঁ নিজৰ সকলো শক্তি শেষ কৰিবলৈ ধৰিলে। এই অভি-যানবোৰ প্ৰায় সম্পূৰ্ণ ব্যৰ্থ হ'ল। যেতিয়া তেওঁৰ সৈন্যসকলে দৈবাৎ কেতিয়াবা এই অঞ্চল দখল কৰেও, চীনা চোভিয়েটৰ সৈন্যসকলে তেওঁলোকৰ হাতত ধৰা নিদিয়ে। দেশৰ আৰু ভিতৰলৈ সোমাই যায়—নতুন কৰি ঠাই দখল কৰি লয়। সেনাপতি চুটেৰ পৰিচালিত অষ্টম যাত্ৰী বাহিনীয়ে আঠ হাজাৰ মাইল পথ [illegible] পাৰ হৈছিল, সামৰিক অভিযানৰ ইতিহাসত সেই অপূৰ্ব ভ্ৰমণ কাহিনী বিখ্যাত হৈ আছে।

এইদৰে বছৰৰ পিচত বছৰ ধৰি চিয়াংকাইচেক আৰু চোভিয়েট চীনৰ মাজত যুঁজ চলিল। অথচ চোভিয়েট চীনে নিজৰ পৰাই জনাইছিল যে চিয়াংকাই-চেকৰ লগত একত্ৰ হৈ জাপানী আক্ৰমণক বাধা দিবলৈ তেওঁলোক প্ৰস্তুত আছে। ১৯৩৭ চনত জাপানীসকলে এটি বৰ ডাঙৰ আক্ৰমণ আৰম্ভ কৰিলে; ইয়াৰ ফলত পৰি দুয়োপক্ষই জাপানীসকলক বাধা দিবলৈ এক হৈ থিয় হ'ল, চোভিয়েট ইউ-নিয়নৰ লগতো চীনৰ সম্বন্ধ ঘনিষ্ঠ হৈ উঠিল—১৯৩৭ চনৰ নবেম্বৰ মাহত এই দুই দেশৰ ভিতৰত এটি অনাক্ৰমণ চুক্তি সম্পন্ন হ'ল।

জাপানীসকলে এইবাৰ বৰ বাধা পালে। সেই বাধাবোৰৰ ৰঙা পাৰিলে এওঁলোকে আকাশৰ পৰা বোমা পেলাই বৰ বেচিকৈ আৰু অতি ভয়ঙ্কৰ নৰহত্যা চলাবলৈ ধৰিলে আৰু এনে ধৰণৰ বৰ্বৰোচিত কাম কৰিলে যে শুনিলে বিস্মা-সকে হৰ লোকোৱে। কিন্তু এই বিষম অগ্নিপৰীক্ষাৰ মাজেদি চীনত নতুন জীৱনৰ স্পন্দন দেখা গ'ল। আগৰ এলাহ আৰু সোপাটিলা চৰিত্ৰ আঁতৰাই পেলাই চীনাসকল একেবাৰে নতুন মানুহ হৈ পৰিল। জাপানী বোমাই চীনৰ বহুতো ডাঙৰ ডাঙৰ চহৰ ধ্বংসস্তূপত পৰিণত কৰিলে; মানুহ যে কিমান মৰিল তাৰ সীমা সংখ্যা নাই। এই যুদ্ধ চলোতাত জাপানেও বৰ কষ্ট পাবলগীয়া হৈছিল। ইয়াৰ ফলত জাপানৰ আৰ্থিক জীৱন আৰু ৰাজনীতি বিপদত পৰাৰ উপক্ৰম হয়। ভাৰতবাসীসকলে সেইদিনৰ প্ৰজাতন্ত্ৰৰ সহানুভূতি দেখুৱাইছিল; এইবাৰো স্বাভাৱিকতেই এওঁলোকৰ সহানুভূতি গৈ পৰিল চীনাসকলৰ ওপৰত। ভাৰতবৰ্ষত, আমেৰিকাত আৰু বহুতো দেশত প্ৰকাণ্ড আন্দোলন আৰম্ভ হৈ গ'ল—জাপানী বস্তু বৰ্জন কৰা।

জাপানৰ সৈন্যবল বৰ বেচি, ইয়াতেও তাক ঠেকত পেলোৱা সহজ নহ'ল; চীনৰ ভিতৰত জাপানীসকল ক্ৰমে আৰু বেচি আগুৱাই গ'ল। পাছত শেষ চীনাসকলে গেৰিলা যুদ্ধ আৰম্ভ কৰিলে, জাপানীসকলৰ বৰ ক্ষতি সাধন কৰি তুলিলে। জাপানীসকলে চাংহাই আৰু নানকিং দখল কৰিলে। তাৰ পিচত কেণ্টন আৰু হাংকাওৰ ভাগ লৈহে পালেহেঁ। চীনাসকলে নিজেই পুৰি জলাই এই দুখন পুৰণি

নগৰ ধ্বংস কৰি পেলালে। জাপানীসকলে গৈ অধিকাৰ কৰিলে ইয়াৰ ভস্মীভূত ভগ্নাৱশেষক, ঠিক যেনেদৰে নেপোলিয়নে এদিন মস্কো দখল কৰিছিল। জাপানীসকলে জয়লাভ কৰিছে সঁচা, কিন্তু চীনাসকলৰ প্ৰতিৰোধ ধ্বংস কৰাটো এতিয়াও সম্ভৱ হোৱা নাই ; প্ৰত্যেকবাৰ পৰাজয়ৰ লগে লগে চীনাসকলৰ মনোবল, আৰু দেশৰক্ষাৰ প্ৰতিজ্ঞা আৰু দৃঢ় হৈ উঠিছে।

অষ্ট্ৰীয়া

এইবাৰ ইউৰোপলৈ উভতি যাব—চাবগৈ অষ্ট্ৰীয়াৰ পৰিণাম কি হ'ল। একালৰ-পৰা নাজী জাৰ্ম্মাণী আৰু আনফালৰপৰা ফেচিষ্ট ইটালীয়ে ইয়াক ঠেলি ধৰিছে, দুয়োৰে হেঁচাত পৰি সেই ক্ষুদ্ৰ প্ৰজাতন্ত্ৰী দেশখনৰ প্ৰাণ যোৱাৰ উপক্ৰম হৈছে। ইফালে অৰ্থ সংগতিও তাৰ নাই, দেশৰ ভিতৰত বৰ বেছি দলাদলি। ভিয়েনাৰ পৌৰ শাসন আছে-প্ৰগতিবাদী চছিয়েলিষ্টসকলৰ হাতত—কিন্তু গোটেই দেশখনক শাসন কৰিছে, তাৰ ধৰ্ম্মা ধৰণৰ এটি ধৰ্ম্মযাজকৰ প্ৰাধান্য থকা ফেচিষ্ট দলে ডলফাচ ইয়াৰ চেঞ্চলাৰ। ডলফাচৰ ভৰসা আছিল, নাজীসকলে যদি অষ্ট্ৰীয়া আক্ৰমণ কৰে, তেতিয়া মুচলিনী আহি তেওঁক ৰক্ষা কৰিব। ইটালীৰপৰা ডলফাচৰ ওচৰলৈ অস্ত্ৰশস্ত্ৰ পঠাই দিয়া হ'ল ; যদিও সেইটো ভাচাইলচ সন্ধিৰ বিৰোধী কাৰ্য্য আছিল। মুচলিনীয়ে ডলফাচক উপদেশ দিলে, চছিয়েলিষ্টসকলক দমন কৰিব লাগে। ডলফাচে ঠিক কৰিলে, ভিয়েনাত যিসকল চছিয়লিষ্ট কৰ্ম্মী আছে, এওঁলোকৰপৰা অস্ত্ৰশস্ত্ৰ কাঢ়ি লব। ইয়াৰ ফলতেই ১৯৩৪ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰতি বিপ্লৱ হল। চাৰি দিন ধৰি ভিয়েনা চহৰত যুঁজ চলিল। তাৰ বিখ্যাত শ্ৰমিক গৃহবোৰত কামান চলাই ধ্বংস কৰি পেলোৱা হল। ডলফাচ জিকিল—কিন্তু জিকিল বাহিৰৰপৰা কোনোবাই অষ্ট্ৰীয়া আক্ৰমণ কৰিলে তাক বাধা দিয়াৰ শক্তি আছিল যি এটা মাত্ৰ দলৰ সেইটো দলক ধ্বংস কৰি।

ইফালে নাজীসকলৰ চক্ৰান্ত সমানে চলিছে। ১৯৩৪ চনৰ জুন মাহত ভিয়েনা চহৰত ডলফাচ নাজীসকলৰ হাতত নিহত হল। নাজীসকলৰ ইচ্ছা আছিল এই ঘটনাৰ পিচতে জাৰ্ম্মাণীৰপৰা নাজীবাহিনী গৈ অষ্ট্ৰীয়া আক্ৰমণ কৰিব। হিটলাৰৰ সৈন্যদল সীমান্ত পাৰ হৈ আহিবলৈ উদ্যত হৈছে, এনে সময়তে বাধা পৰিল, মুচলিনীয়ে জনাই দিলে যে জাৰ্ম্মাণ সৈন্য যদি অষ্ট্ৰীয়াত সোমাই তেন্তে অষ্ট্ৰীয়াক ৰক্ষা কৰিবৰ কাৰণে তেওঁ তেওঁৰ সৈন্য পঠাই দিব। অষ্ট্ৰীয়া জাৰ্ম্মাণীৰ অন্তৰ্ভুক্ত হব জাৰ্ম্মাণ ৰাজ্যৰ সীমা ইটালীৰ পাৰ কাষ পাবহি, এইটো মুচলিনীৰ মনঃপুত নহয়। ১৯৩৫ চনত হিটলাৰে ঘোষণা কৰিলে, অষ্ট্ৰীয়া জয় কৰাৰ বা জাৰ্ম্মাণীৰ লগত ইয়াক সাঙুৰি লোৱাৰ অভিপ্ৰায় তেওঁৰ নাই।

কিন্তু আবিচিনিয়াত যুঁজ কৰি কৰি মুচলিনীৰ শক্তি কমি আহিছিল। গ্ৰেট-বৃটেন আৰু ফ্ৰান্সৰ লগতো ইয়াৰ মনোমালিন্য ক্ৰমে বাঢ়ি আহিছে। এতেকে তেতিয়া মুচলিনীয়ে বাধ্য হৈয়েই হিটলাৰৰ লগত এটি বন্দৱস্ত কৰিবলগীয়া হল। এইবাৰ আৰু অষ্ট্ৰীয়াৰ ওপৰত হস্তক্ষেপ কৰাত হিটলাৰৰ আৰু একো বাধা নেথাকিল। অষ্ট্ৰীয়াত নাজীসকলৰ প্ৰতিপত্তি ক্ৰমে বাঢ়ি আছিল। ১৯৩৮

চনৰ প্ৰথম ভাগতে বৃটেনৰ প্ৰধানমন্ত্ৰী চেম্বাৰলেনে স্পষ্টভাৱে কৈ দিলে, অষ্ট্ৰিয়াক যদি কোনোৱেই আক্ৰমণ কৰে, বৃটেনে তাক ৰক্ষা কৰিবলৈ হস্তক্ষেপ নুকৰে। তেতিয়া আৰু কি ? অষ্ট্ৰিয়াৰ চেন্সেলৰ তেতিয়া চুচনিগ। তেওঁ কলে, গণভোট লোৱা হওক ; দেখা যাওঁক দেশবাসী কোনফালে যাবলৈ বিচাৰে। হিটলাৰৰ তাত আপত্তি। ১৯৩৮ চনৰ মাৰ্চ্চ মাহত হিটলাৰৰ সৈন্যই অষ্ট্ৰিয়া আক্ৰমণ কৰিলে। সেই আক্ৰমণ বাধা দিবলৈ কোনো নাছিল। হিটলাৰে ঘোষণা কৰিলে, অষ্ট্ৰিয়া আৰু জাৰ্ম্মাণীৰ মিলন হৈ গল। অতি পুৰণি দেশ অষ্ট্ৰিয়া, পুৰণি ৰাজবংশৰ আৰম্ভ কৰি বিৰাট সাম্ৰাজ্যৰ অধীশ্বৰ হৈ আছে—এনেদৰে ইয়াৰ শেষ হয়। ইউৰোপৰ মান চিত্ৰৰপৰা অষ্ট্ৰিয়া নামটোৱেই লোপ হল। ইয়াৰ শেষফলত চেন্সেলাৰ চুচনিগ জাৰ্ম্মাণীৰ হাতত বন্দী হল—জাৰ্ম্মাণসকলে জনাই দিলে, নাজীসকলৰ আদেশ সম্পূৰ্ণভাৱে মানি নচলাৰ কাৰণে তেওঁৰ বিচাৰ হব। চুচনিগ এতিয়াও নাজীসকলৰ বন্দী হৈ আছে।

অষ্ট্ৰিয়াত আহিয়েই জাৰ্ম্মাণ নাজীসকলে জনসাধাৰণৰ মাজত আতঙ্কৰ জোঁৱাৰ তুলিলে। নাজীসকলৰ প্ৰথম ভাগত জাৰ্ম্মাণীত যি আতঙ্কৰ তেওঁলোকে সৃষ্টি কৰিছিল ইয়াৰ তুলনাত সেইটো একোৱেই নহয়। ইহুদীসকলৰ ওপৰত অমানুষিক অত্যাচাৰ আৰম্ভ হল ; সেই উৎপীড়ন এতিয়াও চলিছে। ভিয়েনা চহৰ কলাৰ সংস্কৃতি আৰু সৌন্দৰ্য্যৰ লীলাভূমি আছিল তাৰ বুকুত এতিয়া চলিছে বৰ্ব্বৰতা আৰু নৃশংসতাৰ তাণ্ডৱ নৃত্য।

চেকোশ্লোভেকিয়া

নাজীসকলৰ অষ্ট্ৰিয়া জয়ৰ উদাহৰণ দেখি ইউৰোপৰ আন আন দেশ ভয়ত কম্পিত হল। সকলোতকৈ বেছি ভয় খালে চেকোশ্লোভেকিয়া—ইয়াক এতিয়া তিনিফালৰ পৰাই নাজী জাৰ্ম্মাণীয়ে আগুৰি আছে। সকলোৰেই দৃঢ় বিশ্বাস যে এইবাৰ চেকোশ্লোভেকিয়াৰ ওপৰত নাজীসকলে আক্ৰমণ চলাব। নাজীসকলৰ আক্ৰমণৰ ধৰণেই হৈছে—প্ৰথমতে সেই দেশৰ সীমান্ত অঞ্চলত চক্ৰান্ত চলোৱা বিদ্ৰোহ আৰু অশান্তিৰ সৃষ্টি কৰা, এই ক্ষেত্ৰতো সেইটো ইতিমধ্যে যথাৰীতি আৰম্ভ হৈ গৈছে।

চেকোশ্লোভেকিয়াৰ ভিতৰত এটা অঞ্চলৰ নাম চুডেটান দেশ—ইয়াৰ নামেই আগতে আছিল বোহেমিয়া। ইয়াত জাৰ্ম্মাণ ভাষা ভাষী তিনিলাখ মানুহে বসতি কৰিছিল, অষ্ট্ৰিয়া হাঙ্গেৰী সাম্ৰাজ্যৰ আমোলত তেওঁলোকৰেই প্ৰতিপত্তি আছিল সকলোতকৈ বেছি। চেক ৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হৈ থকাটো তেওঁলোকৰ ইচ্ছা নহয়। তাতকৈ সেই ৰাষ্ট্ৰৰ মাজত উচিত অধিকাৰো তেওঁলোকৰ অভাৱ আছিল। তেওঁলোকে কিছু পৰিমাণে স্বায়ত্তশাসনৰ অধিকাৰ বিচাৰিছিল। কিন্তু জাৰ্ম্মাণীৰ লগত যুক্ত হোৱাৰ ইচ্ছা তেওঁলোকৰ নাছিল। তেওঁলোকৰ ভিতৰত বহুত জাৰ্ম্মাণ আছিল—কিছুমান নাজী দলৰ সম্পূৰ্ণ বিৰোধী। অতীতত বোহেমিয়া কেতিয়াও নিজেই জাৰ্ম্মাণীৰ অন্তৰ্ভুক্ত হোৱা নাছিল। অষ্ট্ৰিয়া লুপ্ত হৈ গল। সকলোৱে

ধৰি ললে হিটলাৰে এইবাৰ চেকোশ্লোভেকিয়া আক্ৰমণ কৰিব। এই সম্ভাৱনাৰ কথা ভাবি বহুলোক শংকান্বিত হৈ পৰিল। ভয়ে ভয়ে তেওঁলোক তাৰ স্থানীয় নাজী দলত গৈ যোগ দিলে, তাকে কৰিলে কিজানি কিছু পৰিমাণে নিৰাপদ হব পাৰে।

আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত চেকোশ্লোভাকিয়াৰ অৱস্থা বেছ ভালেই আছিল। শিল্প বাণিজ্যত ইয়াৰ বিপুল সমৃদ্ধি, ৰাষ্ট্ৰীয় শৃংখলাৰ ফালেদিও ইয়াৰ কোনো ত্ৰুটী নাছিল, ইয়াৰ সৈন্য দলৰ শক্তি আৰু ক্ষমতা সামান্য নাছিল। ফ্ৰান্স আৰু চোভিয়েট ইউনিয়নৰ লগত ইয়াৰ মিত্ৰতা আছে, যুদ্ধ হলে ইংলণ্ডও ইয়াৰ কলীয়া হব এই আশাও ই কৰিছিল। মধ্য ইউৰোপৰ ইয়েই তেতিয়া একমাত্ৰ গণতান্ত্ৰিক দেশ হিচাপে তিষ্ঠি আছে, এতেকে পৃথিৱীৰ যতে যি গণতান্ত্ৰিক দেশ আছে, সকলোৰে ইয়াৰ প্ৰতি সৌহাৰ্দ্দ্য আছে, আমেৰিকাও এওঁলোকৰ দলৰ। এতেকে যুদ্ধ যদি হয়—এই গণতান্ত্ৰিক শক্তিসমূহ তেতিয়া এক হৈ থিয় দিব আৰু তেওঁলোকৰ হাতত ফেচিষ্ট শক্তিসমূহৰ পৰাজয় ধ্ৰুব সত্য এই বিষয়ে কোনো সন্দেহ কাৰো নাছিল।

চুদেটানত যি সংখ্যালঘু সম্প্ৰদায় আছে, তেওঁলোকৰ কথা উত্থাপিত হল— তেওঁলোকৰ অভাৱ অভিযোগবোৰ প্ৰতিকাৰ হওঁক, ইও অতি উচিত কথা। এই কথা কিন্তু সঁচা, চেকোশ্লোভেকিয়াত সংখ্যালঘুসকলৰ প্ৰতি যিমান সদ্ব্যৱহাৰ কৰা হৈছিল, মধ্য ইউৰোপৰ আৰু কতো সংখ্যালঘুসকলে তেনে ব্যৱহাৰ পোৱা নাছিল। আচলতে ই সংখ্যালঘুসকলৰ সমস্যা নহয়। সেইটো হৈছে হিটলাৰৰ ইচ্ছা—তেওঁ বিচাৰে দক্ষিণ পূব ইউৰোপৰ সকলোবোৰ ঠাই তেওঁৰ কৰায়ত্ত হৈ থকাটো, তেওঁৰ ইচ্ছামতে যি চলিব নিবিচাৰে, তাক গাৰ জোৰেৰে আৰু অত্যাচাৰৰ ভয় দেখুৱাই চলিবলৈ বাধ্য কৰাব।

সংখ্যালঘু সমস্যা সমাধানৰ কাৰণে চেক চৰকাৰে যথাসাধ্য চেষ্টা কৰিবলৈ ধৰিলে। তেওঁলোকে বিচৰা প্ৰায় সকলো কথাতেই ই মান্তি হল। কিন্তু লাহে লাহে দেখা গল, এওঁলোকৰ এটা দাবী যেতিয়াই চৰকাৰে মানি লৈছে তত্তাতৈয়াকৈ আৰু বেছি ব্যাপক ভাৱে দাবী জনোৱা হৈছে— এনে দৰে গোটেই ৰাষ্ট্ৰৰেই অস্তিত্ব বিপন্ন কৰি পেলালে। ইয়াৰ কাষতে এখন প্ৰজাতন্ত্ৰী দেশ থকাটো হিটলাৰৰ অসহ্য হৈ উঠিছে। এতেকে এইটো চল চক্ৰান্তৰে শেষ কৰি পেলোৱাটোৱেই এওঁৰ ইচ্ছা। বৃটেনে এনে এটি ভাও ধৰিলে, যেন এই সমস্যাটিৰ এটা শান্তিপূৰ্ণ আপোচ মীমাংসা কৰি দিয়াটোৱেই ইয়াৰ উদ্দেশ্য। কিন্তু ইয়াৰ বাবে যি নীতি অৱলম্বন কৰিলে, তাৰমানে হিটলাৰৰ অভিযানকেই সমৰ্থন কৰা। লৰ্ড ৰানচিমেনক বৃটিছ চৰকাৰে প্ৰেগলৈ পঠাই দিলে, তেওঁ এই বিষয়ে "চালিচী" কৰিব। কিন্তু ইয়াৰ ধৰণটো বৰ আমোদজনক। চেক চৰকাৰৰ ওপৰত তেওঁ ক্ৰমান্বয়ে হেচা দিবলৈ ধৰিলে; নাজীসকলৰ দাবী মানি লোৱা বুলি। শেষত চেক চৰকাৰে লৰ্ড ৰানচিমেনৰ প্ৰস্তাৱবোৰকেই মানি ললে। কিন্তু তাৰ পিচত নাজীসকলে আৰু দীঘলীয়া দাবী উত্থাপন কৰিলে। সেই দাবী মানি লবলৈ চেকসকল যাতে সহজে মান্তি হয়—এই বুলি জাৰ্মাণ সৈন্যক ৰণসাজে সজ্জিত কৰিলে। ঘটনা দেখি চেম্বাৰলেইন নিজেই "চালিচী" কৰিবলৈ গ'ল। বেৰ্কটেছ্গাডেনলৈ

সৈ তেওঁ হিটলাৰৰ লগত দেখা কৰিলে। হিটলাৰে তেওঁক চৰম পত্ৰ দিছিল— চেকোশ্লোভেকিয়াৰ এটা ডাঙৰ অংশ জাৰ্মানীক এৰি দিব লাগিব। চেম্বাৰলেইন তাতেই ৰাজি হ'ল। তাৰ পিছত ইংলেণ্ড আৰু ফ্ৰান্স দুই বন্ধু এৰ দৈ সোভিয়েট-লোকৰ পুৰণি বন্ধু আৰু মিত্ৰৰাষ্ট্ৰ চেকোশ্লোভেকিয়াৰ ওপৰত চৰম পত্ৰ জাৰি কৰিলে—হিটলাৰৰ সকলো দাবী অসৰ্তভাৱে মানি লোৱা, নহলে আমি দুয়ো তোমাক একেবাৰেই পৰিত্যাগ কৰিম। বিশ্বাসঘাতক বন্ধুসকলৰ এনে অপূৰ্ব বন্ধুত্ব দেখি বিস্ময়ত চেকসকল হতভম্ব হৈ গ'ল। কিন্তু দেশৰ ভিতৰ আৰু বিপাকত পৰি চেক চৰকাৰ সেই চৰমপত্ৰকেই মানি লবলৈ বাধ্য হ'ল। আকৌ চেম্বাৰলেন হিটলাৰৰ চৰণত কাকুতি মিনতি কৰিবলৈ গ'ল। হিটলাৰ তেতিয়া ৰাইণ নদীৰ পাৰত গডেছবাৰ্গত আছিল। তেওঁ দেখিলে হিটলাৰে এইবাৰ আৰু বেছি বিচাৰিছে। এইবাৰৰ দাবী ইমান বেছি যে চেম্বাৰলেনৰ দৰে লোকেও তাত সমৰ্থন জনাব নোৱাৰিলে। এতেকে হিটলাৰে [illegible] নিজৰ আদেশ জনাই দিলে [illegible]। এইটো আছিল ১৯৩৮ চনৰ চেপ্তেম্বৰ মাহৰ শেষত। ইউৰোপৰ সকলোতে বিশ্বযুদ্ধৰ ছাঁ ঘনীভূত হৈ আহিল। প্ৰত্যেক দেশৰ মানুহে যেন বুকু দিৰি প্ৰস্তুত হৈ থাকিল। লণ্ডন, পেৰিছ, পৰাগ, বাৰ্লিন সকলোতে খাঁত (ট্ৰেঞ্চ) খন্দা হ'ল; কেনেবাকৈ তেতিয়া কোনো আকাশপথে হিটলাৰৰ বোমাৰু বিমান আহি উপস্থিত হয়। তেতিয়া আকৌ চেম্বাৰলেন দৌৰিবলগীয়া হ'ল। মিউনিকত হিটলাৰ আছিল—তেওঁলৈ [illegible] আৰু টেলিফোনযোগে খবৰ পঠিওৱা গ'ল। ৰুচিয়া আছিল ফ্ৰান্স আৰু চেকোশ্লোভেকিয়াৰ মিত্ৰৰাষ্ট্ৰ, সেই দেশক কিন্তু মাতা নহ'ল। চেকোশ্লোভেকিয়াৰ ভাগ্য নিৰ্ণয় কৰিবলৈ এওঁলোক বহিল, ই দিলেও এওঁলোকৰ লগত [illegible] বাদ লোৱা, অথচ ইয়াৰ এটা [illegible] এওঁলোকে [illegible]। হিটলাৰে এখন নতুন দাবীৰ তালিকা দিলে, সেই তালিকা [illegible]। [illegible] যেন [illegible]—এইটো যদি নহয় তেন্তে মই অসৰ্তভাৱে চেকোশ্লোভেকিয়া আক্ৰমণ কৰিম। তাতে যদি যুদ্ধ হয় হওক। এতেকে এওঁলোকে [illegible] তেওঁৰ সেই দাবী প্ৰায় সম্পূৰ্ণৰূপে স্বীকাৰ কৰি লয়। ২৯ চেপ্তেম্বৰ তাৰিখে মিউনিকৰ চুক্তি ৰচনা কৰা হ'ল; চাৰিখন দেশৰ চাৰিজন নায়কে তাত স্বাক্ষৰ কৰিলে।

তেতিয়াৰ কাৰণে যুদ্ধ নহ'ল। সকলো দেশৰ সকলো মানুহেই এটা স্বস্তিৰ নিশ্বাস পেলালে। কিন্তু সেইটো যুদ্ধ কি যে [illegible] হ'ল। ইয়াৰ ফলত ফ্ৰান্স আৰু ইংলেণ্ডৰ সন্মান একেবাৰে নাশ পালে। ইউৰোপৰ গণতন্ত্ৰৰ [illegible] ওপৰত একেবাৰে মৰণ আঘাত কৰা হয়। চেকোশ্লোভেকিয়া ভাঙি টুকুৰা টুকুৰি হৈ গ'ল। [illegible] হিচাবে [illegible] শেষ হৈ গ'ল। মধ্য আৰু দক্ষিণ পূব ইউৰোপৰ [illegible] হ'ল। আৰু তাৰ বাট দিব কোনে? অথচ ইয়াৰ যুদ্ধ কি কি [illegible] হ'ল সেইটো [illegible]। [illegible] ই এটা [illegible] যুদ্ধ

বিৰক্তি ৰাখোন। ইয়াৰ ফলত যিখিনি সময় পালে সেই সময়ৰ ভিতৰতে প্ৰত্যেক দেশেই প্ৰাণপণে অস্ত্ৰশস্ত্ৰ সংগ্ৰহ কৰি যুদ্ধৰ কাৰণে প্ৰস্তুত হৈ গ'ল, যুদ্ধ যে হব সেইটো তেতিয়া একেবাৰে জনা কথা।

মিউনিক চুক্তিৰ পিচৰ পৰা ইউৰোপ আৰু জগতৰ ইতিহাস নতুন ৰূপ ললে। দেখা গ'ল ইউৰোপত নতুন ভাগ বটোৱাৰা আৰম্ভ হৈ গৈছে। বৃটিছ আৰু ফৰাচী চৰকাৰে দেখা-দেখিকৈ নাজী আৰু ফেচিষ্টসকলৰ পক্ষ লৈছেগৈ। ইটালীৰ লগত ইয়াৰ যি চুক্তি হৈছিল বৃটেনে লৰালৰিকৈ সেইটো স্বীকাৰ কৰি ললে। ইটালীয়ে আবিচিনীয়া জয় কৰিছে, এই চুক্তিৰদ্বাৰা বৃটেনে সেইটো আইনমতে স্বীকাৰ কৰি ললে। স্পেইনৰ বিষয়তো ইটালীৰ হস্তক্ষেপত আৰু ইয়াৰ আপত্তি নাথাকিল। ইংলেণ্ড, ফ্ৰান্স, জাৰ্ম্মাণ আৰু ইটালী এওঁলোকৰ ভিতৰত চতুৰ্শক্তিৰ মিত্ৰতা ক্ৰমে এওঁলোক ৰুচিয়া, স্পেইন আদি গণতন্ত্ৰী দেশবোৰক বাধা দি ৰাখিব।

ৰুচিয়া

এইদৰে মাহৰ পিচত মাহ বছৰৰ পিচত বছৰ ধৰি ডাঙৰ ডাঙৰ দেশবোৰে চক্ৰান্ত কৰিছিল আৰু ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি দি পিচমুহূৰ্ত্ততে তাক ভঙ্গ কৰিছিল অথচ তাৰে ওচৰা ওচৰিকৈ থিয় হৈ চোভিয়েট ৰুচিয়াই ইয়াৰ গোটেই আন্তৰ্জ্জাতিক কৰ্ত্তব্য আৰু প্ৰতিশ্ৰুতি নিখুঁতভাৱে পালন কৰি চলিল; শান্তিকামী আৰু আৰু যুদ্ধ বিগ্ৰহৰ বিৰোধী হৈ থাকিল। মিত্ৰৰাজ্য চেকোশ্লাভেকিয়াক শেষলৈকে পৰিত্যাগ নকৰিলে—এইটো এটা মন কৰিবলগীয়া কথা। ইংলেণ্ড আৰু ফ্ৰান্সে কিন্তু ৰুচিয়াক একেবাৰেই মূল্য নিদিলে। আক্ৰমণকাৰীসকলৰ লগতেই বন্ধুত্ব পাতিলে। ফ্ৰান্স আৰু ইংলেণ্ডৰ বিশ্বাসঘাটকতাৰ ফলত চেকোশ্লাভেকিয়াও শেষত গৈ নাজীসকলৰ কৱলতেই গৈ পৰিল। ৰুচিয়াৰ লগত ইয়াৰ যি মিত্ৰতা আছিল সেইটো চিঙি পেলালে। চেকোশ্লাভেকিয়াক কাটি ভগাই লোৱা হৈছে। হাঙ্গেৰী আৰু পোলেণ্ডেও ক্ষুধাৰ্ত্ত শগুণৰ দৰে আহি ইয়াৰ কিছু আদায় কৰি লৈছে। দেশৰ ভিতৰতো বহুতো পৰিৱৰ্ত্তণ ঘটিছে, চেকোশ্লাভেকিয়াই এতিয়া নিজকে স্বাধীন ৰাষ্ট্ৰ বুলি ঘোষণা কৰিছে। চেকোশ্লাভেকিয়াৰ নিজৰ শক্তিৰ যি কণ বাকী আছিল সিও আচলতে জাৰ্ম্মাণীৰ অধীনৰ উপনিৱেশত পৰিণত হৈছে।

ইয়াৰ ফলত ৰুচিয়াৰ যি বৈদেশীক নীতি আছিল, তাতেই এটা বৰ ডাঙৰ আঘাত লাগিল। তথাপি ইয়াৰ আজি বিপুল শক্তি। ইয়েই এতিয়া একমাত্ৰ দেশ যি দেশত ইউৰোপ আৰু এচিয়াৰ ফেচিষ্ট আৰু আন গণতন্ত্ৰ বিৰোধী সকলক বাধা দিবৰ সামৰ্থ্য ৰাখিছে। যোৱা কেইমাহ ধৰি ইংলেণ্ড আৰু ফ্ৰান্সে ৰুচিয়াক একেবাৰে উপেক্ষা কৰি চলিছিল। কিন্তু আজি ৰুচিয়া এখন বিৰাট শক্তিশালী দেশ। প্ৰথমে যি পঞ্চ বাৰ্ষিকী পৰিকল্পনা হাতত লৈছিল, সেই পৰিকল্পনা পূৰ্ণমূল ভাৱে সফলেই হ'ল। যদিও তাৰ সকলো কূটনীতি ঠিকমতে হৈ উঠা নাই, বিশেষকৈ উৎপন্ন বস্তু বাহানিৰ উৎকৰ্ষতা সিমান ভাল হোৱা নাই। ইয়াৰ

অৱশ্যে কাৰণো আছিল। ৰুছিয়াৰ বহু শিল্পীসকলে তেতিয়াও বিশেষ শিক্ষিত বা কৰ্মদক্ষ নাছিল যান-বাহনৰ ব্যৱস্থাতো বহুত বিশৃংখলা আছিল। তদুপৰি এই পৰিকল্পনাৰ উদ্দেশ্য আছিল ভাৰী শিল্প গঢ়ি তোলা। ফলত সাধাৰণ ব্যৱহাৰৰ বস্তু বহুতোনি প্রচুৰ পৰিমাণে উৎপন্ন হোৱা নাছিল। মানুহৰ জীৱন যাত্ৰাৰ মান ক্রমে তললৈ হ্রাস পৈছিল। তথাপি কিন্তু এই পৰিকল্পনাৰ যোগেদিয়েই ৰুছিয়াই বৰ কম সময়ৰ ভিতৰতে প্ৰধান ভাৰী শিল্প কাৰখানা গঢ়ি তুলিলে, কৃষিকো যৌথ পদ্ধতিৰে সুসংহত কৰি তুলিলে। এনেকৈ ভৱিষ্যতলৈ যাতে ৰুছিয়াই বিপুল সমৃদ্ধি লাভ কৰিব পাৰে তাৰ ভেটি ইয়াতেই গঢ়া হ'ল। ইয়াৰ পিছতে আহিল ইয়াৰ দ্বিতীয় পঞ্চ বাৰ্ষিকী পৰিকল্পনা (১৯৩৩-১৯৩৭)। প্রথম পৰি-কল্পনাৰ যি দোষ ত্ৰুটি হৈছিল, সেইবোৰ দূৰ কৰাই হ'ল ইয়াৰ লক্ষ্য। আগৰবাৰ ভাৰী শিল্পৰ ওপৰত জোৰ দিয়া হৈছিল, এইবাৰ জোৰ দিয়া হ'ল ক্ষুদ্ৰ শিল্পৰ ওপৰত—বিশেষকৈ নিত্যৌ ব্যৱহাৰ কৰা বস্তু তৈয়াৰ কৰে। ইয়াৰ কামো বৰ জোৰে চলিল। জীৱন যাত্ৰাৰ মান চাওঁতে চাওঁতে উচ্চ হৈ আহিল। এতিয়া ইয়াৰ ঐশ্বৰ্য্য সমৃদ্ধি ক্রমে বাঢ়িয়েই যাব ধৰিছে। সভ্যতা, সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্ৰপৰা আৰু বহুত বিষয়েই চোভিয়েট ইউনিয়নৰ সকলোতে যি প্রগতি বা শ্ৰীবৃদ্ধি ঘটিছে, সি এটা আচৰিত হবলগীয়া কথা। প্রগতিৰ এই প্রচেষ্টাক ই অব্যাহত ৰাখিবলৈ বিচাৰে, যি সমাজতান্ত্রিক অৰ্থনৈতিক ব্যৱস্থা ই গঢ়ি তুলিছে তাক আৰু সুসংহত কৰি লবলৈ বিচাৰে। এনেকৈ আন্তৰ্জাতিক বিষয়ত ৰুছিয়াই অতি দৃঢ়চিত্তে শান্তিৰ পথ অৱলম্বন কৰি থাকিল। লীগ অব নেচনছতো ৰুচি-য়াই এই নীতিকেই ঘোষণা কৰিলে—প্রত্যেক ৰাষ্ট্ৰই নিৰাপদ পাৰে কম অস্ত্ৰশস্ত্ৰ ৰাখক, সকলোৱে মিলি শান্তি ৰক্ষাৰ ব্যৱস্থা কৰা হওক। কোনোৱাই কাৰবাক আক্ৰমণ কৰিলে সকলোৱে এক হৈ তাক বাধা দিয়া হওক। পৃথিৱীৰ আন শক্তিশালী দেশবোৰ সকলোৱেই পুঁজিবাদী তথাপি তেওঁলোকৰ লগতো ৰুছিয়াই সদ্ভাৱ স্থাপন কৰিবলৈ বিচাৰিলে। তাৰ ফল স্বৰূপেই সকলো দেশতে কমিউনিষ্ট পাৰ্টিবোৰে আন আন প্রগতিশীল দলবোৰৰ লগত এক হৈ গণসংঘ বা যুক্তসংঘ গঢ়িবলৈ চেষ্টা কৰিলে।

দেশৰ সকলো কথাতে ইমানখিনি প্রগতি আৰু সমৃদ্ধি; কিন্তু ঠিক এই সময়তেই চোভিয়েট ইউনিয়নৰ মাজত এটা প্রবল সংকটে দেখা দিলে। ষ্টেলিন আৰু ট্ৰটস্কিৰ ভিতৰত যি বিৰোধ চলিছিল তাৰ কথা মই তোমাক আগতেই কৈছোঁ। এইবাৰ, দেশত যি শাসন ব্যৱস্থা প্ৰচলিত তাৰ প্রতি প্ৰসন্ন নোহোৱা বহুতো লোক একেলগে দল বান্ধিলে, শুনা যায় এওঁলোকৰ বহুতে হেনো কেপিটেলিষ্টসকলৰ লগতো ষড়যন্ত্ৰ লিপ্ত আছিল। চোভিয়েট গোয়েন্দা বিভাগত (জি, পি, ইউ) বুধিয়াল লোক ইয়াগোদা, তেওঁ হেনো আছিল এওঁলোকৰ দলত। চোভিয়েট চৰকাৰৰ এজন বুধিয়াল লোক কিৰভ, ১৯৩৪ চনৰ ডিচেম্বৰ মাহত তেওঁক নিহত কৰা হ'ল। চৰকাৰে বিপক্ষ দলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে। ১৯৩৭ চনলৈকে আদালত চলি, ৰুছিয়াত বহুতো মোকৰ্দমা হ'ল। এই মোকৰ্দমাবোৰে পৃথিৱীৰ সক-লোতে প্ৰবল উত্তেজনা আৰু বিতৰ্কৰ সৃষ্টি হ'ল, কাৰণ এইবোৰ মোকৰ্দমাত ৰুছিয়াৰ

বহুতো বিখ্যাত আৰু প্ৰতিপত্তিশালীলোক আচামী হৰ লগীয়াত পৰিছিল। যি সকলৰ তেতিয়া বিচাৰ আৰু দণ্ডৰ আদেশ হ'ল তেওঁলোকক ট্ৰটস্কী পন্থী বোলা হৈছিল; আৰু আছিল সোপন্থী নেতাসকল বোইকভ, ট্ৰটস্কি, বুখাৰীণ) আৰু আছিল কেইবাজনো বৰ উচ্চ পদস্থ সামৰিক কৰ্মচাৰী, মাৰ্চাল টুখাচেভস্কি এওঁলোকৰ ভিতৰত প্ৰধান।

এইবোৰ মোকৰ্দমা আৰু বিচাৰ আৰু বিবোৰ ঘটনাৰ ফলত এইবোৰৰ উৎপত্তি হ'ল, ইয়াক লৈ কোনো স্থিৰ মতামত ব্যক্ত কৰা মোৰ কাৰণে টান। কাৰণ ইয়াৰ ভিতৰুৱা কথা বিমানে জটিল সিমানেই অস্পষ্ট। তথাপি এইটো কব পাৰো, তেতিয়া এই মোকৰ্দমা লৈ পৃথিৱীত বহুতো মানুহ ক্ষুব্ধ হৈ উঠিছিল। ৰুচিয়াৰ বিসকল অতি আপোন বন্ধু তেওঁলোকৰ ভিতৰতো বহুতেই ক্ষুণ্ন হৈছিল। পৰ্য্যবেক্ষকসকলৰ মতে ষ্টেলিনবাদীসকলৰ বিৰুদ্ধে এটা ডাঙৰ ষড়যন্ত্ৰ চলিছিল আৰু বিচাৰ বিবোৰ হ'ল, অকাৰণত হোৱা নাই। এই কথাও ঠিক এই ষড়যন্ত্ৰৰ পিচত জনসাধাৰণৰ কোনো ধৰণৰ সমৰ্থন নাছিল। আৰু ইয়াৰ ফলত জনসাধাৰণ ষ্টেলিনৰ বিৰোধী পক্ষবেই প্ৰতি বেছি বিৰূপ হৈ পৰিছিল। তথাপি ইয়াৰ কাৰণে ৰাষ্ট্ৰৰ ভিতৰত কিবা দোষ থকাটোৱেই প্ৰমাণিত হয়। হয়তো ইয়াৰ আঘাত বহুতো নিৰপৰাধী লোকৰ ওপৰতেই পৰিছে। আন্তৰ্জাতিক ক্ষেত্ৰত ৰুচিয়াৰ যি মৰ্য্যাদা গঢ়ি উঠিছিল ইয়াৰ ফলত সেইটো বহুদূৰ ম্লান হ'ল।

অৰ্থ-সংকটৰ অৱসান

১৯৩০ চনত ব্যৱসায় বাণিজ্যত মণ্ডা বজাৰ আৰম্ভ হ'ল। বহু বছৰ ধৰি তাৰ হেঁচাত গোটেই পুঁজিবাদী দেশেই পক্ষাঘাতত অৱশ হৈ পৰিল। কিন্তু শেষত তাৰো কিছু ভাল লক্ষণে দেখা দিলে। বহুতো দেশত সংকটৰ হেচা কিছু পৰিমাণে কমি আহিল; কিন্তু বৃটেনত ই বিমান সহজ আৰু জোৰেৰে হ'ল তেনে আৰু কতো নহ'ল। তাৰ কাৰণো আছিল। বৃটেনে পাউণ্ডৰ মূল্য কমাই দিছে, আমদানী বস্তুৰ ওপৰত শুল্ক বঢ়াইছে, সাম্ৰাজ্যৰ সকলোতে বিমান বস্তু বেচাৰ বজাৰ আৰু কেচামাল যোগোৱাৰ সম্পত্তি আছে, তাৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰিছে। এই সুযোগ সকলোৰে নাছিল। বিদেশী মালৰ ওপৰত আমদানী শুল্ক বঢ়ালে বৃটেনে, আৰু দেশী কাৰখানাক অৰ্থসাহায্য দিয়াৰ ব্যৱস্থা কৰিলে, কৃষি ব্যৱস্থাৰ সংস্কাৰ সাধিলে, কাৰখানাৰ মালিকসকলৰ এনে সংগঠন গঢ়ি তুলিলে যেন তেওঁলোকৰ নিজৰ ভিতৰত অহিয়া অহি কমি যায়। ইয়াৰ ফলত দেশৰ বজাৰ আৰো শক্তিশালী হৈ উঠিল। কি বস্তু কোনে কিমানখিনি তৈয়াৰ কৰিব, তাৰ এটা নিৰ্দিষ্ট পৰিকল্পনা আৰু উৎপন্ন বস্তুৰ মূল্য বিতৰণ কৰোঁতে কোনে কিমান ভাগ পাব তাৰ এটা বহল ব্যৱস্থা কৰিবলৈকে চেষ্টা কৰিলে। তাৰ উপৰি ডেনমাৰ্ক আৰু স্কাণ্ডিনেভিয়া অঞ্চলৰ দেশবোৰৰ ওপৰতো হেঁচা দিবলৈ ধৰিলে যাতে তেওঁলোকেও বৃটেনৰ বস্তু বেচিকৈ কিনে।

ইয়াৰ ফলত বাণিজ্য মণ্ডা বজাৰ শিথিলি প্ৰতিকাৰ হ'ল তাৰ পৰিমাণ কম নহয় কিন্তু ইয়াৰ ফলত তেওঁলোকৰ বহিৰ্বাণিজ্য বহুত কমি গ'ল। এতেকে এই সংকটৰপৰা আংশিক মুক্তি পোৱা গ'ল বাবেন, কাৰণ বাণিজ্য সংকটৰ প্ৰকৃত সমাধান হয় তেতিয়াই যেতিয়া আন্তৰ্জাতিক বাণিজ্য আৰো আগৰ দৰে সমৃদ্ধ হৈ উঠে।

এই কথাও মনত ৰাখিব আমেৰিকাৰ ওচৰত বৃটেনৰ বহুতো ধাৰ, কিন্তু সেই ঋণ ই শোধ কৰা নাই কৰাৰ ইচ্ছাও নাই। তাৰ উপৰিও ব্যৱসায় বাণিজ্য খিনিখিনি বাঢ়ি আহিছে, তাৰ অন্যতম কাৰণ হৈছে বহুত দেশৰ দ্ৰুতগতিত অস্ত্ৰশস্ত্ৰ বঢ়োৱাৰ প্ৰচেষ্টা। অস্ত্ৰশস্ত্ৰ বেছিকৈ বিক্ৰী হোৱাৰ কাৰণে উৎপাদন আৰু বাণিজ্য বাঢ়িব পাৰে, কিন্তু ব্যৱসায়ৰ এনে ধৰণৰ সমৃদ্ধিৰ কুফল মাৰাত্মক; ইয়াৰ স্থায়িত্বও একো নাই। বৃটেনৰ বহুতো শ্ৰমিক এতিয়াও নিবনুৱা হৈ আছে।

বৃটিছ সাম্ৰাজ্য

অৰ্থ সংকটৰপৰা ইংলেণ্ডে বৰ্ত্তমানৰ কাৰণে পৰিত্ৰাণ পাইছে। কিন্তু ইয়াৰ সাম্ৰাজ্যৰ প্ৰায় শেষ নিশ্বাস পেলাও পেলাও অৱস্থা। সাম্ৰাজ্যৰ ভিতৰত যিবোৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক কৰ্ম প্ৰচেষ্টা গঢ়ি উঠিছে সেইবোৰৰ শক্তি দিনে দিনে বাঢ়ি আহিছে। ইংলেণ্ডে নিজেও আৰু ইয়াক সিমান বিশ্বাস কৰিব নোৱাৰা হৈছে। সেই সাম্ৰাজ্য যে আৰু বেছি দিন তিকি থাকিব এনে ভৰসা ইয়াৰ নাই। সাম্ৰাজ্যৰ বিভিন্ন দেশৰ মাজত বহুতো অভ্যান্তৰীণ সমস্যাই দেখা দিছে ইয়াৰ সমাধান ইংলেণ্ডে কৰিব পৰা নাই। ভাৰতবৰ্ষই স্বাধীনতা দাবী কৰি দৃঢ় পণ কৰিছে, তাৰো শক্তি লাহে লাহে বাঢ়ি আহিছে। সৰু দেশ পেলেষ্টাইন, ইও ইংলেণ্ডক কঁপাই তুলিছে। পুঁজিবাদী ব্যৱসায়ৰ বজাৰত ইংলেণ্ডৰ প্ৰবল প্ৰতিদ্বন্দ্বী হৈছে আমেৰিকা। ৰাজনীতিৰ ক্ষেত্ৰতো পৃথিৱীত ইমান দিন যি প্ৰতিপত্তি আৰু প্ৰাধান্য আছিল, এতিয়া আমেৰিকাই বিমানে তাক আজুৰি নিবলৈ বিচাৰিছে। বৃটিছ চৰকাৰে যিমানেই ফেচিষ্ট শক্তিবোৰৰ কাষে লাগ লৈছে, আমেৰিকায়ো ইয়াক এৰি দূৰৈৰে আতৰি গৈছে। আনফালে চোভিয়েট ইউনিয়নে জিৰণি নোলোৱাকৈ সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰি গৈছে। ই সাম্ৰাজ্যবাদৰ সম্পূৰ্ণ বিৰোধী। বৃটিছ সাম্ৰাজ্যৰ দেশবোৰ এতিয়া ধন সম্পদৰে ভৰপুৰ, লোভনীয় বস্তু, জাৰ্মানী আৰু ইটালীয়ে লুভীয়া চকুৰে ইয়াৰ ফালে সদায় চাই আছিছে। মিউনিকত ইংলেণ্ডে তেওঁলোকৰ ভাবুকি তলমূৰ কৰি মানি লৈছে, এতেকে এতিয়া তেওঁলোকে ইংলেণ্ডক এটা প্ৰায় দ্বিতীয় শ্ৰেণীৰ শক্তি বুলিহে গণ্য কৰিছে। ইয়াৰ লগত প্ৰায় আদেশৰ সুৰত কথা কৈছে। এতিয়াও যদি ইংলেণ্ডে গণতন্ত্ৰক প্ৰসাৰিত কৰিলেহেঁতেন তেন্তে আকৌ তাৰ শক্তি সংহতি বঢ়াই নিব পাৰিলেহেঁতেন। কিন্তু সেইটো ই কৰা নাই। সেইবোৰ কল্পনা এৰি ই এতিয়া হিটলাৰৰ স্তুতি গীত গাই ফুৰিছে। এতেকে ইয়াৰ সাম্ৰাজ্যনীতিৰ মাজতো আৰু কোনো সংগতি বা সামঞ্জস্য নাই। মিউনিক চুক্তিৰ মাজত যি অসংখ্য অসংগতি আছিল, তাৰ হেঁচাতেই এতিয়া ইয়াৰ সাম্ৰাজ্য ধ্বংস হোৱাৰ উপক্ৰম হৈছে।

উপনিবেশসমূহ

জাৰ্মানীয়ে উপনিবেশ লাগে বুলি চিঞৰিছে, ই যেনো নিঃস্ব আৰু 'অতৃপ্ত' দেশ। কিন্তু দেখে যদি হয় যিবোৰ সৰু সৰু দেশৰ মুঠেই উপনিবেশ নাই, সেই-

যোৰৰ অৱস্থা কি ? আৰু প্ৰকৃততে নিঃস্ব যিসকল—উপনিৱেশৰ বাসিন্দাসকল তেওঁলোকৰ কথাই বা কোনে কৈছে। আচলতে এই গোটেই যুক্তি তৰ্কৰেই মূল কথাটো হৈছে, এওঁলোকে সাম্ৰাজ্যবাদক জীয়াই ৰাখিব বিচাৰে। নহলে এখন দেশ তৃপ্ত হৈ থাকিব নে অতৃপ্ত হৈ থাকিব সেইটো নিৰ্ভৰ কৰে ইয়াৰ নিজৰ ভিতৰত কি ধৰণৰ অৰ্থনৈতিক নীতি ই প্ৰতিষ্ঠা কৰিছে তাৰ ওপৰত। সাম্ৰাজ্যবাদ যেতিয়ালৈকে আছে তেতিয়ালৈকে দেশে দেশে ধনসম্পদ আৰু প্ৰতিপত্তিও সৰু বৰৰ তফাৎ থাকিবই, এতেকে অতৃপ্তিৰ কেতিয়াও শেষ নহ'ব। বিপ্লৱৰ আগতে ৰুচিয়া আছিল জাৰৰ সাম্ৰাজ্য, এইখন 'অতৃপ্ত ৰাজ্য' বুলি কোৱা হৈছিল সেয়ে তাৰ সীমা আৰু বঢ়াই লোৱা দৰকাৰ। এতিয়াৰ দিনত চোভিয়েট ৰুচিয়াৰ আয়তন তাতকৈ বহুতো কম—তথাপি ইয়াৰ মন অতৃপ্ত নহয়। কাৰণ ইয়াৰ সাম্ৰাজ্যবাদী কামনা নাই। ইয়াৰ আৰ্থিক নীতিয়েই হৈছে সম্পূৰ্ণ বেলেগ ধৰণৰ।

উদ্যোগৰ কেচামাল নোপোৱাৰ কাৰণেই যে জাৰ্ম্মাণীৰ উপনিৱেশৰ প্ৰয়োজন হৈছে সেইটো নহয়। মুকলি বজাৰ পৰি আছে, কেচামাল কিনি লব পাৰে। আচল কথাটো হৈছে উপনিৱেশ যদি থাকে তেন্তে তাৰ মানুহক শোষণ কৰি কিছু লাভ কৰি লব পাৰিব। জাৰ্ম্মাণীৰ টকাৰ মূল্য কমি গৈছে। মাৰ্ক এতিয়া প্ৰায় 'অচল' টকা। জাৰ্ম্মাণীৰ মনৰ কথাটো হৈছে উপনিৱেশ যদি পোৱা হয়, তেন্তে তাৰ জনসাধাৰণৰ মূৰত এই অচল টকা জাপি দি ই কেচা মাল কিনিব, তাৰ পিচত জাৰ্ম্মাণীৰ শিল্পজাত বস্তু কিনিবলৈ ইয়াক বাধ্য কৰাব।

যোৱা পাঁচবছৰে যিবোৰ ডাঙৰ ডাঙৰ ঘটনা ঘটিছে, আৰু তাৰ যিবোৰ ফলাফল দেখা গৈছে, তাৰ কিছু কথা তোমাক কলোঁ। কিন্তু কোনখিনিত আহি গল্প শেষ কৰিম বুজিব পৰা নাই। কাৰণ পৃথিৱীৰ সকলোতে চলিছে অশান্তি, পৰিবৰ্ত্তন আৰু সংঘাত। কোনো এখন ঠাইক বা দেশক নমুনা দেখুৱাই গোটেই বিশ্বৰ সমস্যাবোৰ ব্যাখ্যা কৰা বা সমাধানৰ নিৰ্দ্দেশ কৰাটো এতিয়া প্ৰায় অসম্ভৱ। সমাধান যদি কৰিবই লাগে, কৰিব লাগিব গোটেই পৃথিৱীকে লৈ। সেই পৃথিৱীও এতিয়া ক্ৰমে আগুৱাই চলিছে অৱনতিৰ ফালে। যুদ্ধ আৰু হিংসা বৃত্তিৰেই ইয়াত ৰাজত্ব। য়ুৰোপ আছিল প্ৰগতিৰ পথত বৰ্ত্তমান জগতৰ পথ প্ৰদৰ্শক। যি আজি চকাভঙা গাড়ীত উঠি বৰ্ব্বৰতাৰ যুগলৈ ঘূৰি গৈছে। ইমান দিনে যি শ্ৰেণীবোৰে তাৰ সমাজ শাসন কৰি আহিছে, তেওঁলোক এতিয়া জৰাজীৰ্ণ—চাৰিওফালৰ পৰা সমস্যাই আৰু বিপত্তিয়ে এওঁলোকক আগুৰি পেলাইছে। সেই জাল ছিন্ন কৰাৰ শক্তি তেওঁলোকৰ একেবাৰেই নাই।

পৃথিৱীৰ ভাৰসাম্যৰ অৱস্থা ইমানেই চঞ্চল আছিল। মিউনিক চুক্তিৰ হেঁচাত ই একেবাৰে লুটি খাই পৰিছিল। দক্ষিণ পুব য়ুৰোপ ক্ৰমে নাজীসকলৰ আয়ত্তলৈ আহিবলৈ ধৰিলে, প্ৰত্যেক দেশতে নাজীসকলে ব্যাপকভাৱে ষড়যন্ত্ৰ চলাবলৈ ধৰিলে। ডেনমাৰ্ক, নৰৱে, চুইডেন, ফিনলেণ্ড, নেদাৰলেণ্ড, বেলজিয়াম আৰু লুক্‌চেমবাৰ্গ উত্তৰ ইউৰোপৰ এই সৰু দেশবোৰক একেলগে কোৱা হয় অছ্লো গ্ৰুপ, এওঁলোকে দেখিলে বৃটেন এওঁলোকৰ বন্ধু কিন্তু ইয়াৰ সেই বন্ধুত্বৰ মূল্য

আৰু এতিয়া একেবাৰেই নাই। এতেকে এওঁলোকে কলে, নিৰপেক্ষ, ক্ৰীয়া নিৰাপত্তা বিধানৰ কথালৈ আৰু ঘূৰি যাবলৈ নিবিচাৰে। পূব প্ৰাচ্য অঞ্চলত জাপানৰ উগ্ৰ নীতি আৰু বাঢ়ি উঠিল—কেণ্টন দখল কৰি ললে। হংকঙত বৃটেনৰ লগত অৰিয়া-অৰি লাগিল। পেলেষ্টাইনত পৰিস্থিতিয়ে ক্ৰমে বেয়াৰ ফালে চাল খালে। আমেৰিকাৰ লগত বৃটেনৰ মনোমালিন্যও বৰ বাঢ়ি গ'ল। চেম্বাৰলেনে ফেচিষ্ট শক্তি দুটাৰ লগত শান্তি পাতিবলৈ লওঁতে প্ৰেচিডেণ্ট ৰুজভেল্টে নাজীসকলৰ উদ্দেশ্য আৰু ৰীতিনীতিৰ তীব্ৰ সমালোচনা কৰিছিল। ইউৰোপত সদায় চলি থকা কাজিয়াখন আৰু ফেচিষ্টসকলৰ উগ্ৰ নীতিৰ প্ৰতি বৃটেন আৰু ফ্ৰান্সে দেখুওৱা মনোভাৱৰ নমুনা দেখি আমেৰিকাই বিৰক্ত হৈ আঁতৰি গ'ল; আৰু লগে লগে বিপুল পৰিমাণৰ অস্ত্ৰসজ্জা আৰম্ভ কৰি দিলে। চোভিয়েট ইউনিয়নেও তাকেই কৰিছে। পশ্চিম ইউৰোপৰ দেশবোৰৰ লগত মৈত্ৰী আৰু অনাক্ৰমণ চুক্তি সম্পাদন কৰাৰ নীতি ই গ্ৰহণ কৰিছিল; সেই নীতি বিফল হৈছে, এতিয়া হয়তো ই বাধ্য হৈ অকলশৰীয়াভাৱে থিয় দিব লাগিব। অথচ আমেৰিকা আৰু ৰুচিয়া দুয়ো পক্ষই জানে এতিয়া এই ভয় বিহ্বল পৃথিৱীত অকলে থিয় হোৱা বা নিৰপেক্ষ হৈ থকা কোনো মতেই সম্ভৱ নহয়। যুদ্ধ যদি লাগে, ইচ্ছাতে হওক বা অনিচ্ছাতেই হওক, তাৰ ভিতৰত সোমাই পৰিব লাগিবই। এতেকে সেই দিনৰ কাৰণে এওঁলোক প্ৰস্তুত হৈ ৰহিছে।

আমেৰিকা

আমেৰিকাত ভিতৰুৱা শাসনৰ ক্ষেত্ৰত যি নীতি প্ৰেচিডেণ্ট ৰুজভেল্টে গ্ৰহণ কৰিছিল ই বহুতো বাধা বিঘিনি পাৰ হবলগীয়া হৈছে। চুপ্ৰীম কৰ্ট আৰু দেশৰ প্ৰগতি বিৰোধী দলবোৰে বহুবাৰ ইয়াৰ পথত হেঙাৰ বান্ধি থিয় দিছিল। সম্প্ৰতি যি নিৰ্ব্বাচন হৈ গল, তাৰ পৰা কংগ্ৰেছত ৰুজভেল্টৰ প্ৰতিদ্বন্দ্বী সকলৰ শক্তি অলপ বাঢ়িছে। তথাপি এতিয়াও ব্যক্তি স্বৰূপে ৰুজভেল্টৰ জনপ্ৰিয়তা অসাধাৰণ। আমেৰিকাৰ জনগণৰ তেওঁৰ প্ৰতিপত্তি অক্ষুন্ন ৰৈছে।

আৰু এটা নীতি ৰুজভেল্টে অনুসৰণ কৰিছে সেইটো হৈছে, দক্ষিণ আমেৰিকাৰ দেশবোৰৰ লগত বন্ধুতা স্থাপন কৰা। মেক্সিকোত চৰকাৰ আৰু আমেৰিকাৰ আৰু বৃটিছৰ তেল ব্যৱসায়ীসকলৰ মাজত কাজিয়া পেচাল চলিছে। মেক্সিকোত এটা ব্যাপক বিপ্লৱ হৈ গ'ল, তাৰ ফলত মাটিৰ ওপৰত জনগণৰ মালিকীস্বত্ব প্ৰতিষ্ঠিত হৈছে, কিন্তু ধৰ্ম্ম প্ৰতিষ্ঠানসমূহৰ আৰু তেলখনি আৰু মাটিত যিসকলৰ স্বাৰ্থ ন্যস্ত আছিল তেওঁলোকৰ বহুতো বিশেষ ক্ষমতা আৰু অধিকাৰ ইয়াৰ ফলত লুপ্ত হৈ গ'ল—এতেকে এই পৰিবৰ্ত্তনক এওঁলোকে বাধা দিবলৈ যিমান পাৰে চেষ্টা কৰিছিল।


বাৰ্লিন ৰোম মৈত্ৰী
লণ্ডন
হল্যাণ্ড
বাৰ্লিন
জাৰ্মানী
বেলজিয়াম
পেৰিচ
ফ্ৰান্স
পোলেণ্ড
চোভিয়েট ৰাচিয়া
ইউক্ৰেন
চেকোস্লাভাকিয়া
অষ্ট্ৰিয়া
চুঃ-লেণ্ড
হাঙ্গেৰি
ৰুমানিয়া
যুগোস্লাভিয়া
বুলগেৰিয়া
ইটালী
ৰোম
আলবেনিয়া
বেলিয়াৰিক দ্বীঃপুঃ
টিউনিচ

তুৰস্ক

সকলো জগতে ঘূৰি অহিলা হবি, আৰু কটা কাটি যথাযথি, তাৰ মাজতে তুৰস্ক থিয় দি আছে অপূৰ্ব শান্তিৰ দেশ স্বৰূপে, ইয়াৰ শত্ৰু কোনো নাই। গ্ৰীচ্ আৰু বলকান দেশবিলাকৰ লগত পূৰ্বৰ কাজিয়াপেচা ইয়াৰ বিৰোধ আছিল, তাক সি লুপ্ত কৰি পেলাইছে। ছোভিয়েট ইউনিয়ন আৰু বৃটেনৰ লগত ইয়াৰ সম্পৰ্ক বৰ বন্ধুৰ সম্পৰ্ক। আলেকজেন্দ্ৰাতা লৈ (তোমাৰ মনত থাকিব পাৰে—চিৰিয়াক ফ্ৰান্সৰ ৰক্ষাধীন অঞ্চল কৰি দিয়া হৈছিল। ফ্ৰান্সে চিৰিয়াক ভাগ কৰি পাঁচখন সৰু ৰাজ্যত গঠন কৰিছিল। আলেকজেন্দ্ৰাতা তাৰ ভিতৰৰে এখন) ফ্ৰান্সৰ লগত তুৰস্কৰ এখন বিবাদ হৈছিল। আলেকজেন্দ্ৰাতাৰ লোকসকল বেছিভাগেই আছিল তুৰ্কী। ফ্ৰান্সে শেষলৈ তুৰস্কৰ কথা মানি লয়; আলেকজেন্দ্ৰাতাক এখন স্বতন্ত্ৰ ৰাজ্যত পৰিণত কৰিছে।

কামাল আতাতুৰ্কৰ বিচক্ষণ শাসনত পৰিচালিত তুৰস্কই এই ভাবেৰে ইয়াৰ জাতিগত বৈষম্য আৰু আন আন বিষয়লৈ যিমান সমস্যা আছিল তাৰ অতি সুন্দৰ সমাধান কৰি পেলাইছে। এতিয়া ই সম্পূৰ্ণ শক্তি লৈ দেশৰ ভিতৰুৱা উন্নতি সাধনত ব্ৰতী হৈছে। দেশৰ লোকসকলৰ যি কল্যাণ আতাতুৰ্কে সাধন কৰিছে তাৰ তুলনা নাই। ১৯৩৮ চনৰ ১০ নৱেম্বৰত তেওঁৰ মৃত্যু হল। দেশৰ সেৱাৰ ব্ৰত তেওঁ লৈছিল সেই ব্ৰত নিসন্দেহে সফল হল—সেইটো তেওঁ নিজেই দেখি গল; এই সৌভাগ্য সকলোৰে নহয়। আতাতুৰ্কৰ পিচত তুৰস্কৰ প্ৰেচিডেণ্ট হৈছিল—তেওঁৰেই পূৰ্বৰ সহকৰ্মী জেনেৰেল ইচমৎ ইনোনু।

ইছলাম

মধ্য প্ৰাচ্যত ইছলামৰ অদম্য প্ৰাণশক্তিক কামাল আতাতুৰ্কে এটি নতুন ভাৱ-ধাৰাত উদ্দীপিত কৰি গল। তেওঁৰ শিক্ষাত তুৰস্কই নতুন ৰূপ লয়—মধ্যযুগীয় ৰীতিৰতে কুসংস্কাৰ সকলো জাৰী পেলাই যি আধুনিক জগতৰ আগৰণুৱা দেশবোৰৰ লগত ওচৰা-ওচৰি হৈ থিয় হলহি। মধ্যযুগৰ প্ৰত্যেক ইছলামী ৰাষ্ট্ৰই আতাতুৰ্কৰ এই দৃষ্টান্ত আৰু শিক্ষাত অনুপ্ৰাণিত হৈ উঠিল। এতিয়া মধ্য প্ৰাচ্য সকলোতে বহুতো প্ৰগতিশীল জাতীয়তাবাদী ৰাষ্ট্ৰৰ আবিৰ্ভাৱ হৈছে। এওঁলোকে ধৰ্মমততকৈ জাতীয়তাবোধকেই ডাঙৰ বুলি ভাবিছে। ভাৰতবৰ্ষ আদি দেশত অৱশ্যে ইয়াৰ প্ৰভাৱ এতিয়াও সিমান ব্যাপকভাৱে পৰা নাই। তাৰ কাৰণ, ইয়াৰ মুছলমানসকল আন আন অধিবাসীৰ লগতে এতিয়াও সাম্ৰাজ্যবাদী প্ৰভুৰ অধীনত।

বিশ্ব-সংকটৰ স্বৰূপ

পৃথিৱী জুৰি যি সংঘাত এই যুগত চলিছে, তাৰ মুখ্য তাণ্ডৱ ক্ষেত্ৰ হৈছে ইউৰোপ আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চল। এই দুয়ো ঠাইতেই কেইটামান উগ্ৰমূৰ্তি

ধৰি জাগি উঠিছে। গণতন্ত্ৰ আৰু গণস্বাধীনতাক ভাঙি চুড়মাৰ কৰি দিয়া, সমগ্ৰ পৃথিৱীত নিজৰ আধিপত্য প্ৰতিষ্ঠিত কৰাই ইয়াৰ লক্ষ্য। ফেচিষ্টসকলৰ এটা আন্তৰ্জাতিক সংঘ গঢ়ি উঠিছে। এওঁলোকে যুদ্ধ ঘোষণা নকৰিও দেখা দেখিকৈ সকলোতে যুদ্ধ চলাইছে। কেৱল সেয়ে নহয়—পৃথিৱীৰ বহুদেশতেই এওঁলোকৰ চক্ৰান্তৰ জাল বিয়পি পৰিছে—এইবোৰ দেশতে এওঁলোকে চেষ্টা কৰি কৰি হাই কাজিয়া আৰু অশান্তি বঢ়াই তুলিছে—যেন সেই অশান্তি দখলৰ চল কৰি সেই দেশৰ ওপৰত গৈ তেওঁলোকে হস্তক্ষেপ কৰিব পাৰে। এওঁলোকৰ মুখৰ কথা হৈছে কমিউনিজিম বাধা দিয়া; আচলতে এই ধ্বনিৰ পিচত আত্মগোপন কৰি এওঁলোকে বিচাৰিছে নিজৰ সাম্ৰাজ্য প্ৰতিষ্ঠা কৰি লবলৈ। প্ৰকৃততে আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত কমিউনিষ্টসকলে কোনো ঠাইতেই উগ্ৰপন্থা অৱলম্বন কৰা নাই। বহু বছৰ ধৰি তেওঁলোক শান্তি আৰু গণতন্ত্ৰৰ সপক্ষে আছে। আমেৰিকাৰ যুক্ত ৰাষ্ট্ৰত নাজীসকলে বহুবাৰ বহু ষড়যন্ত্ৰ চলাইছিল. ইয়াৰ বহুতৰে বিচাৰো হৈ গৈছে। ১৯৩৭ চনত ফ্ৰান্সত হোৱা এওঁলোকৰ এটা ষড়যন্ত্ৰৰ উদ্যোক্তা আছিল "ক্যাগু-লাৰ্ড" বা "টুপী পিন্ধাৰ দল"—জাৰ্মাণী আৰু ইটালীৰ পৰা এওঁলোকৰ অস্ত্ৰশস্ত্ৰৰ যোগান ধৰা হৈছিল। এওঁলোকে বহু ঠাইত বোমা পেলাইছিল। বহুতো মানুহক হত্যা কৰিছিল। ইংলেণ্ডৰ কিছুমান বৰ প্ৰতিপত্তিশালী দল আছে—যিবোৰে বৃটেনৰ পৰৰাষ্ট্ৰ নীতি নিয়ন্ত্ৰন কৰিছে; ই ক্ৰমে ইয়াক ফেচিষ্টপন্থী কৰি তুলিছে।

আন্তৰ্জাতিক ৰাজনীতিৰ ক্ষেত্ৰত এই ফেচিষ্টসকল হৈছে সাম্ৰাজ্যবাদৰ একেবাৰে পূজাৰী। কেৱল সেয়ে নহয় মধ্য যুগৰ দৰেই এওঁলোকে দেশে দেশে ধৰ্ম্মগত আৰু জাতিগত বিদ্বেষ আৰু হিংসা সৃষ্টি কৰিছে। জাৰ্ম্মাণীত কেথলিক আৰু প্ৰোটেষ্টাণ্ট দুয়ো সম্প্ৰদায়কে সমানে নিষ্পেষিত কৰা হৈছে। জাৰ্মাণীত আৰ্য্যবংশৰ নামত জাতি বিদ্বেষ প্ৰচাৰ কৰা হৈছে; সম্প্ৰতি ইটালীতো এই বতাহ লাগিছে, ইহুদীসকলৰ ওপৰত, আনকি যিসকলৰ বংশত অলপ মাত্ৰ ইহুদী তেজৰ সংশ্ৰৱ আছে তেওঁলোকৰ ওপৰত পৰিকল্পিত আৰু বৈজ্ঞানিক উপায়ে উৎপীড়ন চলাই তেওঁলোকক একেবাৰে নিশ্চিহ্ন কৰি পেলোৱা হৈছে, জগতৰ ইতিহাসত কেতিয়াও এই উৎপীড়নৰ কৌশলৰ তুলনা পোৱা নাযায়। ১৯৩৮ চনৰ নবেম্বৰ মাহৰ প্ৰথম কালে পেৰিচ চহৰত জাৰ্ম্মাণীৰ এজন ৰাজনীতিবিদ নিহত হয়। তেওঁক নিহত কৰে পোলেণ্ডত বাস কৰা এজন ইহুদী যুৱকে। ইহুদী জাতিৰ ওপৰত যি নৃশংস উৎপীড়ন জাৰ্ম্মাণীত চলিছে, তাৰবাবে তেওঁ উন্মত্ত হৈ পৰিছিল, এইটো প্ৰকৃততে এজন লোকৰ নিজস্ব কথা। অথচ এই অপৰাধৰ কাৰণেই জাৰ্মাণীত সমস্ত ইহুদী অধিবাসীৰ ওপৰত অনতিপলমে উৎপীড়ন আৰম্ভ হৈ গল। সেই উৎপীড়ন অতি সুবন্দোবস্ত, স্বয়ং জাৰ্ম্মাণ চৰকাৰেই তাৰ উদ্যোক্তা। দেশৰ যতে যিমান ইহুদীসকলৰ ধৰ্ম্মমন্দিৰ আছিল, তাৰ প্ৰত্যেকটিকে পুৰি ছাই কৰি পেলোৱা হল। ইহুদীসকলৰ দোকান পোহাৰ যিমান আছিল সেই সকলোকে ভাঙি চিঙি লুটপাট কৰা হল, ৰাজআলিত আনকি ঘৰৰ ভিতৰ সোমায়ো অসংখ্য ইহুদী নৰনাৰীৰ ওপৰত নিৰ্ম্মম আক্ৰমণ চলোৱা হ'ল। নাজী নেতাসকলে এই সকলো ঘটনাকে উচিত কৰ্ত্তব্য বুলি ঘোষণা কৰিলে, এই অত্যাচাৰৰ উপৰিও নাজী চৰকাৰে

এই কাজিয়াৰ অপবাদত ইহুদীসকলৰপৰা আঠ কোটি পাউণ্ড জৰিমনা আদায় কৰিছে এৰিলে।

অত্যাচাৰৰ উৎপীড়নত কত লোকে আত্মহত্যা কৰিছে, ঘৰবাৰী এৰি পলাই গৈছে, নিজৰ দেশৰ পৰা বিতাৰিত হৈ পৰিছে, শোকাতুৰ সহায়হীন, গৃহহীন হতভাগীয়াৰ দল, যুগ যুগ সঞ্চিত দুখৰ বেদনাৰে এওঁলোক ম্রিয়মান, পৃথিৱীৰ পথৰে শেষ নোহোৱা যাত্রা এওঁলোকৰ কোন কালে? কলৈ যাব এওঁলোক; কত গৈ পাব নিশ্চিত আশ্রয়। সমস্ত পৃথিৱী আজি ভৰি পৰিছে শৰণাৰ্থী লোকেৰে, ইহুদী—চুদেতানলেণ্ডৰপৰা বিতাড়িত জাৰ্মাণ চছিয়েলিষ্ট ডেমোক্রেট, ফ্রাঙ্কোৰ অধীকৃত এলেকাৰপৰা পলাতক স্পেইনৰ খেতিয়কসকল, চীনবাসী, আবিচিনীয়াবাসী সকলোৱেই আজি আশ্রয়হীন, গৃহহীন,। নাজীবাদ আৰু ফেচিবাদৰ এয়ে হৈছে অৱশ্যম্ভাৱী ফল। এওঁলোকৰ দুৰ্গতি দেখি গোটেই পৃথিৱী আতঙ্কত শিয়ৰি উঠিছে, এই শৰণাৰ্থীসকলৰ দুখ-মোচনৰ কাৰণে দেশে দেশে, অসংখ্য প্রতিষ্ঠান গঢ়ি তোলা হৈছে। অথচ ইয়াৰেই মাজতে থিয় হৈ তথাকথিত গণতান্ত্রিক দেশ ইংলেণ্ড আৰু ফ্রান্সে যি নীতি অৱলম্বন কৰি আছে, সি হৈছে নাজী জাৰ্মাণী আৰু ফেচিষ্ট ইটালীৰ লগত বন্ধুত্ব আৰু সহযোগিতাৰ নীতি। ফেচিষ্টসকলে মানুহৰ ওপৰত উৎপীড়ন আতঙ্কৰ ধুমুহা তুলিছে, সভ্যতা আৰু নৈতিকতাক ভাঙি লুপ্ত কৰি পেলাইছে, হাজাৰ হাজাৰ লাখ লাখ মানুহক পৰিণত কৰিছে, শৰণাৰ্থীলৈ— এওঁলোকৰ আজি ঘৰ নাই, আশ্রয় নাই, পৃথিৱীৰ বুকুত এতিয়া অলপ ঠাই নাই যাক এওঁলোকে আজি নিজৰ বুলি ভাবিব পাৰে। গান্ধীজীৰ ভাষাত কব লাগিব, ফেচিষ্টসকলৰ যি লক্ষ্য তাৰ স্বৰূপ যদি এয়ে হয় তেন্তে 'জাৰ্মাণীৰ লগত মৈত্রীৰ কথা উঠিবই নোৱাৰে। নিজৰ ন্যায় আৰু গণতন্ত্রৰ উপাসক বুলি দাবী কৰা এটা জাতি আৰু এই দুয়োৰে শত্রু বুলি স্পষ্ট ভাষাত ঘোষণা কৰা আন এটা জাতিৰ ভিতৰত মিত্রতা হয় কেনেকৈ? নহলে বুজিব লাগিব নেকি, ইংলেণ্ডে এতিয়া একনায়কত্বকেই আদৰ্শ বুলি মানি লৈছে, গণতন্ত্রৰ পথ এৰি তাৰ ফালেই ক্রমে আগুৱাই গৈছে?

ইংলেণ্ড আৰু ফ্রান্স—এওঁলোকেই যদি ফেচিষ্ট শক্তি সমূহৰ পক্ষে ওকালতি নকৰি তেওঁলোকৰ সকলো কাৰ্য কলাপৰ সমৰ্থন কৰিবলৈ ধৰে, তেন্তে মধ্য আৰু দক্ষিণ পূব য়ুৰোপৰ সৰু ৰাষ্ট্ৰবোৰ সম্পূৰ্ণৰূপেই ফেচিষ্ট গোষ্ঠী ভুক্ত হৈ পৰাটো সঁচুলি আচৰিত হবলগীয়া কথা নহয়। সেইবোৰে এতিয়া ফেচিজিমৰ তত্ত্বীয়া ৰাজ্যৰূপে ক্ষীপ্র গতিৰে গঢ় লৈছে এওঁলোকৰ ভাগ্য নিয়ন্ত্রণ হৈছে মাথো জাৰ্মাণীৰ ইঙ্গিতত। প্রভুত্ব প্রতিষ্ঠাৰ ক্ষেত্রত জাৰ্মাণে এতিয়া ইটালীক হকণাই দিছে। ইটালী এতিয়া ফেচিষ্টসকলৰ এই যৌথ সংঘৰ এজন সৰু অংশীদাৰ মাথোন। জাৰ্মাণী আৰু ইটালী, দুয়োখন দেশেই উপনিবেশ লাগে বুলি চিঞৰিছে, কিন্তু আচলতে জাৰ্মাণীয়ে সপোন দেখিছে, পূবফালে ৰাজ্যবিস্তাৰৰ ইউক্রেণ আৰু চোভিয়েট ইউনিয়নকো হ গ্রাস কৰিবলৈ বিচাৰে। ইংলেণ্ড আৰু ফ্রান্সেও খুব সম্ভৱ ইয়াৰ এই লোভৰ জুইত ইন্ধন যোগাব, ইয়াৰ দ্বাৰা হয়তো তেওঁলোকৰ অধীকৃত ঠাইবোৰ ফেচিষ্টসকলৰ গ্রাসৰপৰা ৰক্ষা পাব পাৰে এই আশাত। কিন্তু সেই আশা একেবাৰেই মিছা।

ইয়াৰ মাজত মূৰ তুলি থিয় দি আছে দুখন প্ৰকাণ্ড দেশ—চোভিয়েট ইউনিয়ন আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰ। আজিৰ জগতত এই দুখন হৈছে সকলোতকৈ শক্তিশালী দেশ। বিপুল এওঁলোকৰ দেশ-বিস্তাৰ; জীৱন যাপনৰ মন্তৰ কালৰ পৰা এওঁলোক প্ৰায় আত্মনিৰ্ভৰশীল। সমৰ শক্তিৰ ফালৰ পৰাও প্ৰায় অপৰাজেয়। দুয়ো ফেচিবাদ আৰু নাজীবাদৰ বিৰোধী যদিও বিৰোধীৰ যুক্ত দুয়োৱে একে নহয়। য়ুৰোপত চোভিয়েট ৰুচিয়াই হৈছে ফেচিজিমৰ পথত এটি ডাঙৰ অন্তৰায়। সেইটো যদি ধ্বংস হয়—তেন্তে য়ুৰোপৰ গণতন্ত্ৰৰো অৱসান হৈ যাব। ফ্ৰান্স আৰু ইংলেণ্ডতো সেইদিনা গণতন্ত্ৰৰ চিনমাত্ৰও ৰাখাকিব। যুক্ত-ৰাষ্ট্ৰৰ অৱস্থিতি য়ুৰোপৰপৰা বহু দূৰত, য়ুৰোপৰ কথাত মূৰপাতি লোৱা ইয়াৰ পক্ষে সহজ নহয়, তাৰ বাবে ইয়াৰ ইচ্ছাও নাই। তথাপি যদি ইউৰোপ বা প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ এই গণ্ডগোলত ই হস্তক্ষেপ কৰিবলগীয়া হয়—সেই-দিনা যুক্তৰাষ্ট্ৰৰ প্ৰচণ্ড শক্তিৰ খেলা কিছু পৰিমাণে চাব পৰা হব, ই যি পক্ষ লব তেওঁলোকৰ জয় হবই।

ভাৰতবৰ্ষত আৰু প্ৰাচ্য অঞ্চলত বিৰোধ গণতান্ত্ৰিক দল নতুনকৈ জাগি উঠিছে, এওঁলোকো স্বাধীনতাৰ পক্ষে। তদুপৰি বৃটিছ ডমিনিয়নবিলাকৰ ভিতৰতো কেইখনমান আছে বৃটেনতকৈ বহুত বেছি প্ৰগতিশীল। গণতন্ত্ৰ আৰু স্বাধীন-তাৰ মূৰৰ ওপৰত আজি বৰ বিপদ ঘনীভূত হৈছে, সকলোতকৈ ডাঙৰ বিপদ, তাৰ নিজৰ তথাকথিত বন্ধুসকলেই পিচৰপৰা তাৰ পিঠিত ছুৰী বহুৱাইছে। কিন্তু গণতন্ত্ৰৰ প্ৰতি নিষ্ঠাৰ প্ৰকৃত ৰূপটি কি তাৰ চমৎকাৰ আৰু উদ্দীপনাময় দৃষ্টান্ত আমি দেখিছোঁ স্পেইন আৰু চীনত। এই দুখন দেশতেই যুদ্ধই তাৰ কৰাল মূৰ্তি বিস্তাৰ কৰিছে, তথাপি এই ভয়ঙ্কৰ বিপদৰ মাজৰপৰাই সৃষ্টি হৈছে এটি নতুন জাতিৰ, জাতীয় জীৱনৰ আৰু কৰ্ম প্ৰচেষ্টাৰ বহু ক্ষেত্ৰত দেখা দিছে নতুন প্ৰাণৰ স্পন্দন।

১৯৩৫ চনত আবিচিনীয়া আক্ৰান্ত হয়। ১৯৩৬ চনত স্পেইনত বিদ্ৰোহ। ১৯৩৭ চনত চীনৰ ওপৰত জাপানে নতুনকৈ অভিযান চলায়। ১৯৩৮ চনৰ নাজী জাৰ্মাণীয়ে অষ্ট্ৰীয়া আক্ৰমণ কৰিছে, পৃথিবীৰ মানচিত্ৰৰপৰা তাৰ নাম লুপ্ত কৰি দিছে, চেকোশ্লোভেকিয়াক ভাঙি খণ্ড খণ্ড কৰি তলতীয়া ৰাষ্ট্ৰত পৰিণত কৰিছে। প্ৰত্যেকটো বছৰে অঞ্জলি ভৰাইলৈ আহিছে দুঃসংবাদ আৰু দুৰ্দৈৱৰ বাতৰি। ১৯৩৯ চনৰ দুৱাৰ দলিত আহি থিয় হলোঁ—এইবাৰ কি হব? আগ্ৰহ আৰু আশঙ্কাৰে প্ৰতিক্ষা কৰি আছোঁ আমাৰ কাৰণে জগতৰ কাৰণে, কি বহন কৰি আনিব এই বছৰটিয়ে আশাৰ বাণী নে নিৰাশাৰ অভিশাপ?